# চুতীয়া জাতিৰ বুৰঞ্জী

মুখ্য সম্পাদক
ড° স্বৰ্ণলতা বৰুৱা
সম্পাদক
ড° ডম্বৰুধৰ নাথ

চুতীয়া জাতিৰ বুৰঞ্জী
মুখ্য সম্পাদক
ড° স্বৰ্ণলতা বৰুৱা
সম্পাদক
ড° ডম্বৰুধৰ নাথ

আৰু পুৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি, কটন মহাবিদ্যালয়ৰ পুথিভঁৰাল, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কৰ্মকৰ্তা আৰু কৰ্মচাৰীসকললৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ। যিসকল ব্যক্তিৰ পৰা এই বুৰঞ্জীৰ বাবে তথ্য সংগ্ৰহ কৰা হৈছিল তেওঁলোকৰ প্ৰতিও আমাৰ কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

এই বুৰঞ্জীৰ প্ৰতিজন লেখকৰ ওচৰত আমি কৃতজ্ঞ হৈ থাকিলো। সম্পাদনা সমিতিৰ সদস্য সকলৰ লগতে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপকসকলেও তেখেতসকলৰ দিহা-পৰামৰ্শৰে আমাক উপকৃত কৰিছে। তেওঁলোকৰ ওচৰত আমি ঋণী। কোঁৱৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় (শিৱসাগৰ)ৰ ইংৰাজী বিষয় শিক্ষক শ্ৰী প্ৰশান্ত কুমাৰ চুতীয়াই কেইবাখনো দুষ্প্ৰাপ্য ফটো সংগ্ৰহ কৰি দিয়াৰ লগতে গ্ৰন্থখনৰ বৰ্ণশুদ্ধি চাই আমাক সহায় কৰিছে। শ্ৰী কোষশ্বৰ বৰুৱাদেৱে বুৰঞ্জীখন প্ৰথমৰ পৰা শেষলৈ চাই আমাক অনুপ্ৰাণিত কৰিছে। শ্ৰী ইন্দ্ৰজিৎ সন্দিকৈয়ে বুৰঞ্জীখন ৰচনাৰ প্ৰাৰম্ভিক কালৰেপৰা শেষ পৰ্যন্ত আমাক বিভিন্ন প্ৰকাৰে সহায় কৰি আহিছে। নগাঁৱৰ শ্ৰী কুশৰাম বৰদলৈ, শ্ৰী বজ্ৰ বৰদলৈ আৰু লক্ষীমপুৰৰ শ্ৰী বিষ্ণু খনিকৰ আৰু শ্ৰী সঞ্জীৱ চুতীয়াই আমাক কেইবাখনো দুৰ্লভ গ্ৰন্থ দি সহায় কৰিছে। গৱেষণা সহায়ক শ্ৰী জিতু খনিকৰ আৰু শ্ৰী নৃপেন শইকীয়াই বুৰঞ্জীখন প্ৰণয়নত বহু কষ্ট স্বীকাৰ কৰিছে। কিছুদিনৰ কাৰণে শ্ৰীৰমেন চাংমাইয়েও এই দায়িত্বত থাকি আমাৰ লগত সহযোগ কৰিছিল। তেওঁলোকৰ লগতে আছে কাৰ্যালয় সহায়ক শ্ৰী বিদ্যুৎ চুতীয়া। তেওঁলোক সকলোৰে ওচৰত আমি কৃতজ্ঞ।

সদৌ শেষত গুৱাহাটীৰ ভৱানী প্ৰিন্টাৰ্চে অতি কম সময়ৰ ভিতৰত বুৰঞ্জীখন চপা কৰি উলিয়াই দিয়াৰ বাবে তেখেতসকলৰ ওচৰত পৰম কৃতজ্ঞ হৈ ৰলো।

ড° স্বৰ্ণলতা বৰুৱা
মুখ্য সম্পাদক তথা অধ্যক্ষ

৭ ব'হাগ, ১৯২৯ শক
২১ এপ্ৰিল, ২০০৭ খ্ৰীঃ

# পটভূমিকা

## ভৌগোলিক ঐতিহাসিক দৃশ্যপট

বুৰঞ্জী হ'ল মানুহৰ জীৱনযাত্ৰাৰ অধ্যয়ন। মানুহৰ জীৱনযাত্ৰা ভৌগোলিক তথা প্ৰাকৃতিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। গতিকে, ভৌগোলিক পৰিবেশৰ সম্যক জ্ঞান নোহোৱাকৈ এখন দেশ বা এটা জাতিৰ বুৰঞ্জী ৰচনা কৰিব নোৱাৰি। গ্ৰীক মণীষী এৰিষ্টটলে (Aristotle:৩৮৪-৩২২ খ্ৰীঃ পূঃ) খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাতে এই বিষয়টোৰ প্ৰতি সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ওঠৰ শতিকাৰ ফৰাচী দাৰ্শনিক মণ্টেছকিউ (Montesquier : আনুঃ ১৬৮৯-১৭৫৫ খ্ৰীঃ)য়ে তেওঁৰ **The Spirit of the Laws** নামৰ গ্ৰন্থত এই প্ৰশ্নটো বিতংভাৱে আলোচনা কৰিছে। কুৰি শতিকাৰ তৃতীয় দশকত ফ্ৰান্সৰ **Annales School**ৰ বুৰঞ্জীবিদসকলে সমাজতত্ব, নৃতত্ব, অৰ্থনীতি, লোককৃষ্টি আদি বিভিন্ন বিষয়ৰ মৌলিক জ্ঞান আহৰণ কৰি বুৰঞ্জীৰ ঘটনাপ্ৰবাহক সকলো দিশৰপৰা চালি-জাৰি চাই মানৰ সভ্যতাৰ ক্ৰমবিকাশৰ সম্পূৰ্ণ ইতিহাস (Total History) ৰচনা কৰাৰ এটা নতুন ধাৰাৰ সূচনা কৰিছে। তেওঁলোকে বুৰঞ্জী আৰু ভূগোলৰ মাজত থকা সম্পৰ্কৰ ওপৰত বিশেষ গুৰুত্ব দিছে কাৰণ বুৰঞ্জীৰ সকলো ঘটনাকে স্থান আৰু কাল এই দুটা দৃষ্টিৰে চোৱা হয়। ইয়াত স্থান মানে ভূগোল। এই অৰ্থতে ভূগোল আৰু কালানুক্ৰমক বুৰঞ্জীৰ সোঁচকু আৰু বাঁওচকু বোলা হয়।

প্ৰাকৃতিক পৰিবেশ, জলবায়ু, নদ-নদীৰ গতি সদায় একে হৈ নাথাকে। সময়ৰ লগে লগে এই আটাইবোৰৰে পৰিৱৰ্তন হয়। আজিৰপৰা কেইবাহাজাৰ বছৰৰ আগতে অসম কিয় গোটেই ভাৰতৰ জলবায়ু আজিৰ তুলনাত অধিক সেমেকা আছিল। সেই সেমেকা জলবায়ুয়ে গছ-গছনিবোৰ ক্ষিপ্ৰগতিত বাঢ়ি অহাত সহায় কৰিছিল আৰু সেইবাবে উত্তৰ-পূব ভাৰতৰ অধিকাংশ অঞ্চল অৰণ্যৰে ভৰি আছিল। সেমেকা জলবায়ুৰ বাবেই খ্ৰীঃপূঃ ৫০০০ বছৰ মান আগলৈকে অসমৰ ভৈয়াম বা সমতলভূমি মানুহৰ বসবাসৰ উপযোগী হোৱা নাছিল।[১] তেতিয়ালৈকে কেৱল পাহাৰীয়া অঞ্চলবোৰতহে পাতলীয়াকৈ জনবসতি আছিল। সেই সময়ত লোৰ ব্যৱহাৰো আৰম্ভ হোৱা নাছিল বাবে শিল, তাম বা

---

১ ভাৰতবৰ্ষত উদ্ভিদ ৰোপণ প্ৰথম ৰাজস্থানতে হৈছিল আনুমানিক খ্ৰীঃ পূঃ ৭০০০-৬০০০ বছৰৰ আগতে - R.S. Sharma, **Ancient India**, New Delhi 1999, p. 36; পূব ভাৰতত ইয়াৰ কিছু কাল পিছত হৈছিল, গতিকে, ৫০০০ খ্ৰীঃ পূঃ বুলি ধৰা হৈছে।

সুবিধা বুজি নিজৰ অস্তিত্বৰ জোকাৰণিৰে প্ৰতিষ্ঠিত শক্তিবোৰক, আৰু শেষলৈ, বিশেষকৈ উনবিংশ শতিকাৰ উপনিবেশবাদী কালছোৱা আৰু তাৰ পৰৱৰ্তী শতিকাত, নিজৰ অস্তিত্ব বিপন্ন হোৱাৰ প্ৰতিবাদ কৰি উঠিছিল। সেয়েহে আধুনিক অসমত গঢ়ি উঠা বহুতো জনগোষ্ঠীয় উত্থানৰ পটভূমি মধ্যযুগৰ আৰ্থ-সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপটত বিচাৰ কৰি চোৱাটোও আৱশ্যক হৈ পৰে।

প্ৰতিষ্ঠিত ৰাজনৈতিক ৰাষ্ট্ৰ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰথম চুতীয়া বিদ্ৰোহ সংঘটিত হয় চুহুংমুং দিহিঙ্গীয়া ৰজাৰ সময়তে, অৰ্থাৎ চুতীয়া ৰাজ্যখনৰ পতনৰ ঠিক পিছতেই। বুৰঞ্জীত উল্লেখ আছে যে, সদিয়া অধিকাৰ কৰি সদিয়া খোৱা গোঁহাইক তাত শাসনকৰ্তা হিচাপে থাকিবলৈ দিয়াৰ কেইবছৰ মানৰ পিছতেই ১৫২৭ খ্ৰীঃত সদিয়াত চুতীয়াসকলৰ বিদ্ৰোহ আৰম্ভ হয়।[৬] এই বিদ্ৰোহৰ কাৰণ সম্পৰ্কত বুৰঞ্জীবিলাকত কোনো উল্লেখ নাই। কিন্তু ৰাজ্য হেৰুৱাৰ ক্ষোভ আৰু ৰাজ্য উদ্ধাৰৰেইযে ই এক প্ৰচেষ্টা আছিল তাত সন্দেহ নাই। তদুপৰি, এই বিদ্ৰোহ কিমানদূৰ সংগঠিত ভাৱে আয়োজন কৰা হৈছিল, এই বিদ্ৰোহৰ নেতৃত্বত কোন আছিল সেই বিষয়েও বুৰঞ্জীবোৰত কোনো উল্লেখ পোৱা নেযায়। বুৰঞ্জীবিলাকত কেৱল চুতীয়াসকলৰ বিদ্ৰোহ বুলিহে উল্লেখ আছে।[৭] অনুমান কৰিব পাৰি যে এই বিদ্ৰোহ আয়োজন কৰিছিল চুতীয়াসকলৰ মাজৰে কোনোবা সম্ভ্ৰান্ত শ্ৰেণীৰ সদস্যই। যতদূৰ সম্ভৱ ৰাজ্য হেৰুৱাৰ লগতে সম্ভ্ৰান্ত পৰিয়ালৰ সদস্য হিচাপে উপভোগ কৰি থকা সা-সুবিধাবোৰ হেৰুৱাই তেওঁলোকে ক্ষোভ আৰু খঙত এই বিদ্ৰোহৰ সূচনা কৰিছিল। সি যি কি নহওক, এই বিদ্ৰোহটোৰ শক্তি যে একেবাৰে উলাই কৰিব পৰা বিধৰ নাছিল তাত সন্দেহ নাই। কাৰণ, বিদ্ৰোহৰ বাতৰি পোৱাৰ লগে-লগে চুহুংমুং দিহিঙ্গীয়া ৰজাই দিহিঙ্গীয়া গোঁহাই থাওমুং ক্লাঙ আদি উচ্চ পৰ্যায়ৰ সামাৰিক বিষয়া কেইগৰাকীমানক সদিয়া খোৱা গোঁহাইক সহযোগ কৰিবলৈ পঠাইছিল আৰু তেওঁলোকৰ দ্বাৰা অতি দ্ৰুতভাৱে এই বিদ্ৰোহ দমনৰ সামৰিক ব্যৱস্থা হাতত লৈছিল।[৮] বিদ্ৰোহৰ চৰিত্ৰ এনেদৰে গুৰুত্বসহকাৰে বিশ্লেষণ কৰা আৰু তাৰ দমনৰ অনুপাতিক আয়োজনৰ পৰাই সেই কথা

tion, three hunderd Ahoms of the Gharphalia clan, with their families and twelve chiefs, were removed from Garhgaon to Sadiya, and another countingent of the same clan were settled on the banks of the Dihing river. The royal family, with the leading men among the Chutiyas, were deported to Pakariguri, while a number of Brahmans and of blackmiths and other artisans were taken from Sadiya to the Ahom capital. Having settled all these matters Suhungmung returned to Charaideo where he performed the 'Rikkhan' ceremony."

৬ ঐ, পৃঃ ৯০; **Ahom Buranji**, p. 60; দেওধাই অসম বুৰঞ্জী, পৃঃ ২২

৭ দেওধাই অসম বুৰঞ্জী, পৃঃ ২২; **Ahom Buranji**, pp. 60-69; সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী, পৃঃ ২৫

৮ দেওধাই অসম বুৰঞ্জী, পৃঃ ২২; **Ahom Buranji**, p. 60.



প্ৰতীয়মান হয়। উল্লেখ আছে যে বিদ্ৰোহৰ সময়ত বিদ্ৰোহীসকলে কেইবাদিনো ধৰি সদিয়াখোৱা গোঁহাইৰ কোঠ অবৰোধ কৰি ৰাখিছিল।[৯] সেই অৱৰোধৰ সময়তে হোৱা সংঘৰ্ষত দিহিঙ্গীয়া গোঁহাই আৰু সদিয়াখোৱা গোঁহাই তেওঁৰ প্লাইপাম নামৰ হাতীটোৰ সৈতে মৰা পৰিছিল।[১০] এনে পৰিস্থিতিত পৰি আহোম সেনাই কথমপিহে দূৰ্গ ৰক্ষা কৰি থাকিবলৈ সমৰ্থ হৈছিল। কিন্তু, শেষ পৰ্যায়ত বিদ্ৰোহীসকল পৰাজিত হৈ উভতি যাবলৈ বাধ্য হয়।[১১] এনে পৰিস্থিতিত চুহুংমুং দিহিঙ্গীয়া ৰজাই সদিয়াখোৱা গোঁহাইৰ সহায়ক হোৱাকৈ ডিবুৰুত (ডিব্ৰুগড়ত) নতুনকৈ এখন ৰাজ্য (province) পাতি তাত ত্যাওলুং চুলেওক শাসনকৰ্তা নিযুক্তি দিয়ে,[১২] যাতে হঠাতে বিদ্ৰোহে দেখা দিলে ডিবুৰু ৰাজ্যত ৰখা সেনাই সদিয়া বাহিনীৰ লগ লাগিবগৈ পাৰে। চুতীয়াৰ বিদ্ৰোহে চুহুংমুঙক এইদৰে শাসন সংক্ৰান্তীয় ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাবলৈ বাধ্য কৰিলে। কিন্তু এনে সামৰিক আৰু প্ৰশাসনীয় সম্প্ৰসাৰণে চুতীয়া বিদ্ৰোহীসকলক নিৰুৎসাহী কৰিছিল যেন নালাগে, কাৰণ সংঘৰ্ষত হাৰি চুতীয়া বাহিনী পলাই গৈছিল যদিও অতি কম সময়ৰ ভিতৰতে তেওঁলোকে পুনৰ বিদ্ৰোহ কৰি উঠিছিল।

প্ৰথমবাৰ বিদ্ৰোহৰ দুবছৰৰ পিছতে ১৫২৯ খ্ৰীঃৰ পুহ মাহত চুতীয়া বিদ্ৰোহীসকলে পুনৰ মূৰ দাঙি উঠি ফ্ৰাচেংমুং বৰগোঁহাই আৰু তেওঁৰ সহকাৰী থাওমুং বাঙ্গেনক আক্ৰমন কৰিলে।[১৩] এই আক্ৰমন এনেহে শক্তিশালী আছিল যে চুহুংমুং দিহিঙ্গীয়া ৰজাই চুক্লেনমুং তিপাম ৰজাক ফ্ৰাচেংমুং বৰগোঁহাইৰ সহায়ক হৈ থাকিবলৈ, আৰু ত্যাওচুলেং চাৰিং ৰজাক ডিবুৰুত থাওমুং বাঙ্গেনৰ সহায়ক কৰি পঠাব লগা হৈছিল।[১৪] ইতিমধ্যে ফ্ৰাচেংমুং বৰগোঁহায়ে থাওমুং বাঙ্গনকো ডিবুৰু ৰাজ্যৰ পৰা মাতি চন্দনগিৰি পাহাৰৰ ওপৰত কোঠ মাৰি থকা চুতীয়া বিদ্ৰোহীসকলক ধৰিবলৈ আগবাঢ়িল আৰু চুক্লেনমুঙক সদিয়াৰ ৰাজধানী ৰক্ষাৰ দায়িত্ব দিলে। ইতিমধ্যে সকলো প্ৰধান প্ৰধান বিষয়া, ডা-ডাঙৰীয়া সহ স্বৰ্গদেৱে নিজেও কোঠদি ৰ'লগৈ।[১৫] এইদৰে নিচ্ছিদ্ৰ আয়োজন কৰি আহোম সেনাই চন্দনগিৰি পৰ্বতত চুতীয়া বিদ্ৰোহীসকলক ঘটুৱালে আৰু সদিয়া চহৰলৈ উভতি আহি তাত কোঠ মাৰি থকা স্বৰ্গদেৱক বাৰ্তা জনালেহি। ইফালে চন্দনগিৰি পৰ্বতত হাৰি চুতীয়াসকলে আন আন কোঠত আহোম সেনাক আক্ৰমণ কৰিলেগৈ। আহোম ৰজায়ো চাৰিং ৰজাক দায়িত্ব দি সেই বিদ্ৰোহীসকলক দমন কৰিবলৈ পঠালে।[১৬] পিছে

৯ ঐ

১০ ঐ

১১ ঐ

১২ ঐ

১৩ দেওধাই অসম বুৰঞ্জী, পৃঃ ২৩-২৪; **Ahom Buranji**, p. 62.

১৪ ঐ

১৫ ঐ

১৬ ঐ

নতুন নতুন ঠাইৰ বিদ্ৰোহী দমন কৰি আহোম সেনাবাহিনী ব্যস্ত থকা অৱস্থাত পুনৰ চন্দনগিৰি পৰ্বতত চুতীয়া বিদ্ৰোহীসকল মূৰ দাঙি উঠিল। এইবাৰ তেওঁলোকে সমগ্ৰ শক্তিৰে আহোম সেনাক প্ৰতিহত কৰি সদিয়া উদ্ধাৰৰ চেষ্টা চলালে। বিদ্ৰোহ দমন কৰিবলৈ যোৱা ফ্ৰাচেংমুম বৰগোঁহাইয়ে কোনো প্ৰকাৰে বিদ্ৰোহীসকলক দমন কৰিব নোৱাৰাত পৰিল। বিদ্ৰোহীসকলে পাহাৰৰ ওপৰৰ পৰা শিল বগৰাই দি আহোম সেনাক বাধা দি কৃতকাৰ্য হ'ল।[১৭] এইদৰে কোনো উপায়ৰে বিদ্ৰোহীসকলক বশ কৰিব নোৱাৰি বৰগোহাঁয়ে আহোমৰ প্ৰচলিত বিশ্বাসমতে কুকুৰাৰ ঠেং কাটি দেওধাইক ভৱিষ্যত চাবলৈ দিলে আৰু শুভ দিন-বাৰ চাই পুনৰ আক্ৰমন কৰিলে।[১৮] এইবাৰ বিদ্ৰোহীসকল পলাল। আহোম সেনাই পাহাৰৰ পৰা নামি উভতি আহোতে নামনিৰ দাঁতিত আশ্ৰয় লৈ থকা ল'ৰা-বুঢ়া-তিৰোতা কিছুমানক ধৰিলৈ গ'ল।[১৯] চন্দনগিৰি পৰ্বতৰ ওপৰলৈ আহোম সেনা বগাই উঠাত যদিও চুতীয়া বিদ্ৰোহীসকল পলাই গৈছিল, বাস্তৱপক্ষে আহোম সেনা তেতিয়াও সম্পূৰ্ণ কৃতকাৰ্য হোৱা নাছিল। কাৰণ, বিদ্ৰোহীসকল চন্দনগিৰি পাহাৰৰ পৰা নামি গৈ আন আন ঠাইত আহোম সেনাক আক্ৰমণ কৰিলেগৈ। ইতিমধ্যে আহোম বাহিনী চন্দনগিৰি পাহাৰৰ পৰা নামি আহিছিল। চুহুংমুং দিহিঙীয়া ৰজায়ো বিদ্ৰোহ দমনত সন্তুষ্টি লাভ কৰি সদিয়া এৰি লুইতে কিছুদূৰ উজাই গৈ চুতীয়াসকলৰ বিদ্ৰোহৰ মূলশক্তি স্বৰূপ দিকালুমুখৰ (টিকালমুখৰ) দুৰ্গৰ কাষ পালেগৈ। দুৰ্গ দেখি চুহুংমুঙে চুতীয়াৰ যুদ্ধ আয়োজন যেন দেখি কিছু সময় লক্ষ্য কৰিবলৈ ৰোৱাত তাতে দেওঘৰৰ সুৰক্ষাৰ দায়িত্বত থকা তাও চুলেং চাৰিং ৰজাই স্বৰ্গদেউক দেখা কৰিবলৈ গৈছিল। কিন্তু বাটতে নৈৰ কাষত লুকাই থকা বিদ্ৰোহীসকলে তেওঁক ভেটা দি যুদ্ধ কৰিলে। সমস্যাৰ গভীৰতা বুজি স্বয়ং স্বৰ্গদেউ আৰু আন আন সেনাপতিসকলে গৈ চাৰিং ৰজাক ৰক্ষা কৰিব লগা হৈছিল।[২০] এই বিদ্ৰোহ দমনৰ পিছত ফ্ৰাচেংমুং বৰগোঁহাই আৰু থাওমুং বাঙ্গঁনক সদিয়াত থৈ স্বৰ্গদেউ ৰাজধানীলৈ উভতি গ'ল।[২১]

চুতীয়াসকলৰ এই বিদ্ৰোহ কেইবাটাও দিশৰ পৰা মন কৰিবলগা। আহোম সেনাৰ আক্ৰমণৰ ফলত চুতীয়া ৰাজ্যখন কেইবা প্ৰকাৰে ক্ষতিগ্ৰস্থ হৈছিল। সেই সময়ত ইয়াৰ ৰাজনৈতিক ব্যৱস্থা, অৰ্থনীতি, সমাজ সকলো ভাগি পৰিছিল। পৰ্বতে-পাহাৰে, হাবিয়ে-জংঘলে সাধাৰণ প্ৰজাই ঘৰ-বাৰী এৰি আশ্ৰয় ল'ব লগা হৈছিল। বুঢ়া-বুঢ়ী, কেচুৱা-শিশু, তিৰোতাসকলো দূৰলৈ পলাই যাব নোৱাৰি শত্ৰুৰ হাতত বন্দী হৈছিল

[১৭] ঐ; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২৪

[১৮] ঐ

[১৯] ঐ; **দেওধাই অসম বুৰঞ্জী**ত লিখিছে ঃ "ইবোৰেও গৈ উঠিব নোৱাৰি উলটি আঁহোতে পৰ্বতৰ নামৰিতে থকা চুটিয়াৰ ল'ৰা-বুঢ়া মানুহ কিছুমান পাই আনিলে। ত্যাওচুলেং চাৰিং ৰজাদেৰে দেও ঘৰতে থাকিল।"

[২০] ঐ, পৃঃ ২৫

[২১] ঐ



অথবা মৰা পৰিছিল। ৰাজ্যখন থকাৰ সময়ত যি সকলে যুঁজাৰু সেনা হিচাপে কাম কৰিছিল, সেইসকলৰ জীৱিত বংশধৰসকলে পলাই ফুৰি বিদ্ৰোহ কৰিছিল, আৰু সম্ভ্ৰান্ত বংশীয়সকলৰ সদস্যসকলে হয়তো এই বিদ্ৰোহৰ গুৰি ধৰিছিল। বিদ্ৰোহীসকলে তেতিয়াও বোধহয় কোনো কোনো ঠাইত পাহাৰৰ ওপৰত থকা নিজৰ দূৰ্গ ৰক্ষা কৰি আছিল আৰু লুকাই-চুৰিকৈ কৰা যুদ্ধত পাৰ্গতি হিচাপে আহোমৰ সেনাক য'তে সুবিধা পাইছিল, তাতে আক্ৰমণ কৰিছিল। কেউফালে উত্থাপিত হোৱা বিদ্ৰোহৰ বৰ্ণনালৈ চাই কব পাৰি যে, সদিয়া ৰাজ্যখন অধিকাৰ কৰি ল'লেও তাত আহোমৰ অধিকাৰ আছিল বৰ সংকটপূৰ্ণ, অস্থিৰ আৰু অনিশ্চিত। সম্পূৰ্ণ সামৰিক শাসনৰ প্ৰৱৰ্তন কৰি যাকে যতে পাই তাতে নিষ্ঠুৰ ভাবে হত্যা কৰি এক ভয়াবহ মনস্তাত্বিক অৱস্থাৰ সৃষ্টি কৰি আহোম প্ৰশাসনে চুতীয়াসকলৰ অধিকাৰ খৰ্ব কৰিবলৈ চেষ্টা কৰিছিল। চুতীয়া বিদ্ৰোহীসকলৰ বিদ্ৰোহ অৱশ্যে কোনো ধৰণৰ সংগঠিত বিদ্ৰোহ নাছিল। যিয়ে য'তে পাৰে তেনেকৈয়ে বিদ্ৰোহ কৰি উঠিছিল। উল্লেখনীয় যে, বিদ্ৰোহীসকলৰ প্ৰধান ঘাটি আছিল সদিয়া চহৰ আৰু ইয়াৰ কেউকাষে থকা পাহাৰীয়া অঞ্চল সমূহহে। সুদূৰ পশ্চিম উপত্যকাৰ কিছু অঞ্চল ধৰি ব্যাপি থকা ৰাজ্যখনত কিন্তু সেই কালছোৱাত কোনো বিদ্ৰোহৰ উল্লেখ পোৱা নাযায়। ইয়ে হয়তো প্ৰমাণ কৰে যে, বিদ্ৰোহৰ গুৰিতে ৰাজবংশীয় বা সম্ভ্ৰান্ত বংশৰ সদস্যসকলহে আছিল।

১৫২৯ খ্ৰীঃৰ বিদ্ৰোহৰ পিছতে চুতীয়া ৰাজ্যত কি ধৰণৰ বিদ্ৰোহ হৈছিল, বা বিদ্ৰোহ হৈছিলনে নাই, সেই বিষয়ে বুৰঞ্জীবিলাকত বিশেষ উল্লেখ পোৱা নাযায়। বোধহয়, সেই সময়ছোৱাত কোনো লেখত ল'ব লগা বিদ্ৰোহ হোৱা নাছিল। চুহুংমুং দিহিঙীয়া ৰজাৰ ক্ষমতা আৰু সদিয়াখোৱা গোঁহাইৰ দমনমূলক প্ৰশাসনত হয়তো বিদ্ৰোহীসকলে সঘনে মূৰ দাঙি উঠিবলৈ সাহস কৰা নাছিল। আহোম-চুতীয়াৰ মাজত চলি থকা সংঘৰ্ষৰ কালছোৱাত পৰাজিত চুতীয়াসকলৰ ওপৰত চলোৱা অত্যাচাৰৰ নমুনাৰ পৰাই[২২] অনুমান কৰিব পাৰি যে আৰম্ভণিৰে পৰাই আহোম ৰাষ্ট্ৰৰ উদ্দেশ্য আছিল যিকোনো প্ৰকাৰে সদিয়া ৰাজ্যখন অধিকাৰ কৰি নিজ ৰাজ্যৰ অন্তৰ্গত কৰা। সদিয়াখোৱা গোঁহাইৰ শাসনৰ চৰিত্ৰ বা কেনে আছিল তাকো অনুমান কৰাৰ বাহিৰে তথ্যভিত্তিক বিৱৰণ এটা দিব নোৱাৰি। অনুমানৰ ভিত্তিত মাথো ইয়াকে ক'ব পাৰি যে, অধিকাৰ কৰাৰ পিছত আহোম প্ৰশাসনে বোধহয় এঘৰো চুতীয়া মানুহ সদিয়াত থাকিবলৈ দিয়া নাছিল। আৰু কোনো চুতীয়া লোকক সদিয়াৰ আশে-পাশে দেখিলেই তেওক ধৰি প্ৰাণে মৰাৰ বোধহয় ৰাজ আদেশ আছিল। কাৰণ, ২০০৪ চনৰ ডিচেম্বৰ মাহত এই লেখককে ধৰি চুতীয়া বুৰঞ্জী প্ৰণয়ন/সম্পাদনা সমিতিৰ এটা দলে সদিয়া অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰোতে, সেই ঠাইৰ জনগাঠনিৰ বুজ লৈ গমপোৱা গৈছিল যে সদিয়াত চুতীয়া মানহৰ খাচ বসতি থকা

[২২] পূৰ্ব পৃষ্ঠা দ্ৰষ্টব্য।

কোনো গাঁও এতিয়া নাই।[২৩] উল্লেখনীয় যে চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালৰ শেষৰ দশকটো কেইবা প্ৰকাৰেও পশ্চিম ফালৰ পৰা উদ্ভৱ হোৱা সমস্যাৰে জৰ্জৰিত আছিল। বঙ্গৰ চুলতানসকলৰ আক্ৰমণ, কোচ ৰজাৰ ওপৰত আধিপত্য স্থাপন, ভূঞা আৰু কছাৰী দমন ইত্যাদি।[২৪] স্বাভাৱিকতে চুহুংমুঙৰ পশ্চিমমুখী ব্যস্ততাৰ সুবিধাৰে সদিয়াত বিদ্ৰোহ কৰাৰ বাবে সুচল অৱস্থা এটা নিশ্চয় হৈছিল। কিন্তু, চুহুংমুঙৰ ভূমি-সংস্কাৰ আৰু জনসংখ্যা নিৰূপন বা লোকপিয়ল নীতি আৰু পাইক-ব্যৱস্থাৰ আৰম্ভণিয়ে[২৫] চুতীয়া ৰাজ্যখনৰ সমগ্ৰ কৃষি ভূমি অঞ্চল আৰু সাধাৰণ প্ৰজাবৰ্গক বিচ্ছিন্ন কৰিব নোৱাৰাকৈ আহোম ৰাষ্ট্ৰ যন্ত্ৰৰ ভিতৰত এনেদৰে সুমুৱাই লোৱা হ'ল যে ক্ষোভ আৰু হতাশাত ভুগি থাকিও চুতীয়া সম্ভ্ৰান্ত বংশীয় সদস্যসকলৰ বাবে সংগঠিত ৰূপত বিদ্ৰোহ কৰি উঠাৰ কোনো অৱকাশ নৰ'ল। ফলত, ভৱিষ্যত অনুকুল ৰাজনৈতিক বাতাবৰণ এটাৰ বাবে সেই শ্ৰেণীটো বাট চাই থাকিব লগা হ'ল। উল্লেখযোগ্য যে, সেই সময়ছোৱাত সম্ভ্ৰান্ত পৰিয়ালবোৰৰ লগত কোনো ধৰণৰ সম্পৰ্ক ৰক্ষা কৰি চ'লিব নোৱাৰাটোও চুতীয়া বিদ্ৰোহীসকলৰ বাবে এক প্ৰধান অন্তৰায় হৈ পৰিছিল।

চুহুংমুং দিহিঙ্গীয়া ৰজাৰ উত্তৰাধিকাৰী আছিল চুক্লেনমুং ওৰফে গড়গঞা ৰজা (১৫৩৯-১৫৫২)। যুৱৰাজ চাৰিং ৰজা হৈ থকাৰ সময়তে চুক্লেনমুঙে সদিয়াৰ চুতীয়া বিদ্ৰোহ দমনত বিশেষ ভূমিকা লৈছিল।[২৬] স্বাভাৱিকতে, সদিয়াত হোৱা চুতীয়া বিদ্ৰোহৰ বিষয়ে তেওঁৰ জ্ঞান পূৰঠ আছিল। কিন্তু এক দশকতকৈও অধিক কাল চুতীয়াসকলৰ মাজত কোনো বিদ্ৰোহ নোহোৱাত, বিদ্ৰোহৰ আশংকা সীমিত হৈ ক্ৰমে নিৰ্বাপিত হৈ আহিছিল। কিন্তু, বাহিৰত তেনে দেখা গ'লেও, ভিতৰি ভিতৰি তেওঁলোকে বিদ্ৰোহৰ আয়োজন কৰিয়ে আছিল। সেয়ে, সুবিধা বুজি ১৫৪২ খ্ৰীঃৰ ব'হাগ মাহত হঠাতে চুতীয়া বিদ্ৰোহীসকলে সদিয়াৰ সীমান্তত দিহিঙৰ পাৰৰ শাসনকৰ্তা হৈ থকা চাওলুং হাননক আক্ৰমণ কৰি তেওঁক হত্যা কৰিলে আৰু তেওঁৰ ল'ৰা-তিৰোতা সকলোকে বন্দী কৰি লৈ গ'ল।[২৭] এই বাৰ্তা পাই চুক্লেনমুং গড়গঞা ৰজাই কছাৰী ৰাজ্যত থকা চাওলুং তিপামক

[২৩] ২০০৪ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত চুতীয়া বুৰঞ্জী প্ৰণয়ন/ সম্পাদনা সমিতিৰ তৰফৰপৰা সদিয়া আৰু অৰুণাচল প্ৰদেশৰ কিছু কিছু ঠাইত (মূলতঃ মালিনীথান আৰু ভীষ্মক নগৰ) ভ্ৰমণ কৰি ক্ষেত্ৰ অধ্যয়ন কৰা হৈছিল। সেই ক্ষেত্ৰ অধ্যয়ন কালত দেখা গৈছিল যে, দুই-এঘৰ চুতীয়া পৰিয়ালৰ বাহিৰে প্ৰাচীন ঐতিহ্য বহন কৰি থকাকৈ কোনো খাচ্ চুতীয়া মানুহৰ বসতি থকা গাঁও পোৱা নগৈছিল। এসময়ত চুতীয়া ৰাজ্যখনৰ প্ৰধান কেন্দ্ৰ হৈ থকা, ৰাজ্যৰ ৰাজধানীখনত আনকি এখনো চুতীয়া গাঁও নথকাটো মন কৰিব লগা।

[২৪] Gait, **A History of Assam**, pp. 86-97.

[২৫] ঐ, ৯৭ পৃষ্ঠা; Jahnavi Gogoi Nath, **Agrarian System of Medieval Assam**, Delhi, 2002, p. 93.

[২৬] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, ২৫-২৬ পৃষ্ঠা; L. Devi, **Ahom Tribal Relations, p. 37.**

[২৭] **Ahom Buranji**, pp. 79; **দেওধাই অসম বুৰঞ্জী,** পৃঃ ৪০। এইখন বুৰঞ্জীত অৱশ্যে (ভুলকৈ) নৈখনৰ নাম দিচাং বুলি উল্লেখ কৰা হৈছে



মতাই আনি সদিয়ালৈ পঠালে। তিপাম ৰজাই দুবছৰ কাল সদিয়াত থাকি ১৫৪৩ খ্ৰীঃত চুতীয়া বিদ্ৰোহ দমন কৰি পুনৰ উভতি গ'ল।[২৮]

এই বিদ্ৰোহৰ পিছত চুতীয়াসকলে প্ৰায় ছয়-সাত বছৰ কাল নীৰৱে আছিল। কিন্তু খ্ৰীঃ ১৫৫৫ চন মানত তেওঁলোকে চল বুজি সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ সুবিধা লৈ পুনৰ বিদ্ৰোহ কৰি উঠিল। সেই সময়ত সদিয়াৰপৰা পশ্চিমলৈ থকা হাবুং অঞ্চলত ব্ৰাহ্মণ ভূঞা এজনে শাসন চলাই নিজৰ আধিপত্য বিস্তাৰ কৰিব বিচাৰিছিল। হাবুং আছিল পূৰ্বে চুতীয়া ৰাজ্যৰ অন্তৰ্গত আৰু আহোম শাসনৰ সদিয়াখোৱা গোঁহাইৰ পৰিসীমাৰ ভিতৰত। স্বাভাৱিকতে, সদিয়াখোৱা গোঁহাই থকা স্বত্বেও তেওঁৰ প্ৰশাসনীয় ক্ষমতাক অৱমাননা কৰি নিজকে শাসনকৰ্তা বুলি অধিকাৰ সাব্যস্ত কৰিবলৈ যোৱাত চুতীয়া বিদ্ৰোহীসকলৰ সমৰ্থনপুষ্ট হৈয়ে ভূঞাজনে তেনে কৰিছিল যেন অনুমান হয়। সেয়েহে চুক্লেনমুং ৰজাই অনতিপলমে ভূঞা শাসনৰ ওৰ পেলাই হাবুঙত পুনৰ আহোম আধিপত্য স্থাপন কৰিবলৈ চেষ্টা চলালে। দেখা যায় যে ইয়াৰ অলপদিনৰ ভিতৰতে চুক্লেনমুঙে ভূঞা দমন কাৰ্য পন্থা হাতত লৈছিল।[২৯] এই অজুহাততে তেওঁ দায়িত্বৰ প্ৰতি অৱহেলা কৰাৰ অপৰাধত সদিয়াখোৱা গোঁহাইক প্ৰাণে মাৰিলে।[৩০] ইফালে ব্ৰাহ্মণ ভূঞাজন পলাই কোচবিহাৰ পালেগৈ।[৩১] এইদৰে বামুণ ভূঞাৰ পলায়ন আৰু সদিয়াখোৱা গোঁহাইৰ প্ৰাণদণ্ডই চুতীয়াসকলক পুনৰুত্থানৰ প্ৰচেষ্টা ল'বলৈ অন্য এক সুবিধা দিলে। যতদূৰ সম্ভৱ বামুণ ভূঞাই চুতীয়াসকলৰ প্ৰৰোচনাতেই স্বাধীনভাৱে শাসন কৰিবলৈ লৈছিল, আৰু ভূঞাৰ কাৰ্যত বৰপাত্ৰ গোঁহাইৰো পৰোক্ষ সন্মতি আছিল। উল্লেখযোগ্য যে, বামুণ ভূঞাৰ শাসনক কাৰণ হিচাপে লৈ সদিয়াখোৱা গোঁহাইৰ দৰে অতি গুৰুত্বপূৰ্ণ শাসনকৰ্তা এজনক হত্যা কৰাটো সহজভাৱে ল'ব নোৱাৰি। আন এক মন কৰিবলগীয়া কাম হ'ল, এই হত্যাৰ পিছতেই আৰু সম্ভৱতঃ এই হত্যাৰ সুবিধা লৈয়ে, কঙ্ক পাত্ৰ নামৰ চুতীয়া মন্ত্ৰী এজনে হঠাতে সদিয়াত বিদ্ৰোহ কৰি উঠিছিল আৰু নিজকে ৰজা বুলি ঘোষণা কৰিছিল।[৩২] উল্লেখযোগ্য যে কঙ্কপাত্ৰৰ বিদ্ৰোহত তিনিজনকৈ আহোম ৰাজকোঁৱৰেও সহযোগ কৰিছিল।[৩৩] এই কাৰ্যই প্ৰমাণ কৰে যে চুতীয়া বিদ্ৰোহীসকলৰ মাজৰ কঙ্কপাত্ৰৰ দৰে কোনো কোনোৱে বেচ পৰিকল্পিত ভাৱেই বিদ্ৰোহৰ আয়োজন

[২৮] দেওধাই অসম **বুৰঞ্জী**, ৪০-৪১ পৃষ্ঠা; **Ahom Buranji**, p. 79.

[২৯] ঐ

[৩০] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, ২৫ পৃষ্ঠাত আছে - "সেই সময়ত *ৰাজা দাই ধৰিলে, বোলে- 'চুটিয়া মাৰি ভূঁঞা বিলাকক মাৰি-কাটি বুপা ৰাজায়ে ময়েহে ৰাজ্য লৈছো। বামুনে যে ৰজা হয় চুটিয়াৰ বৰপাত্ৰকনো কিহলৈ থৈছো? এহি বুলি বৰপাত্ৰক মাৰিলে, বামুনকো মাৰিবলৈ চালে, সপুত্ৰবান্ধৱে মেহাৰলৈ পলাই গে'ল।"

[৩১] ঐ, ২৫-২৬ পৃষ্ঠা।

[৩২] ঐ

[৩৩] ঐ

কৰিছিল।

কঙ্কপাত্ৰই আহোম কোঁৱৰসকলৰ সহযোগত প্ৰায় দুবছৰ কাল সদিয়াত ৰাজত্ব কৰিছিল। উল্লেখ থকা মতে ১৫৫৩ খ্ৰীঃৰ আহিন মাহলৈকে কঙ্কপাত্ৰৰ শাসন চলিছিল।[৩৪] কিন্তু সেই বছৰৰে ভাদ মাহত স্বৰ্গদেৱৰ আজ্ঞাৰে বৰসন্দিকৈয়ে সদিয়া মাৰি তাত পুনৰ আহোমৰ ৰাজশাসন প্ৰৱৰ্তন কৰিবলৈ গ'ল। সেই সংঘৰ্ষত বহুতো চুতীয়া বিদ্ৰোহী আৰু কঙ্কপাত্ৰ মৰা পৰিল আৰু সদিয়াত আহোম ৰাজত্বৰ পুনৰ প্ৰতিষ্ঠা হ'ল।[৩৫] সেই আক্ৰমণৰ সময়ত ডেকা ৰজাৰ পুতেক আৰু চুতীয়াৰে সহযোগিতা কৰা আহোম ৰাজকোঁৱৰ এজনে কঙ্কক এৰি পলাই সাৰিবলৈ চেষ্টা কৰোতে লগত থকা চুতীয়া চুঙী বিদ্ৰোহী সেনাসহ তেওঁ কুণ্ডিলৰ পাৰত আহোম সেনাৰ গৰাহত পৰিল। ফলত, তেওঁ নিজক ৰক্ষা কৰিবলৈ পুনৰ পলায়ন কৰিবলৈ চেষ্টা কৰিলে। কিন্তু এনে বিপদ সংকুল অৱস্থাত আন এজন পলৰীয়া আহোম ৰাজকোঁৱৰ চৌচাই আগবাঢ়ি গৈ বৰসন্দিকৈক ভেটি ধৰিলে। ফলত, বৰসন্দিকৈয়ে জাপ মাৰি পানীত পৰি সাৰি আহি আহোম সেনাৰ লগ পালেগৈ।[৩৬] বৰসন্দিকৈ পানীত পৰা খবৰ জনাজনি হোৱাত আহোম সেনাই পুনৰ খেদি গৈ চুতীয়া বাহিনীক আক্ৰমণ কৰিলে। এইবাৰ কঙ্কপাত্ৰৰ সমৰ্থনত থকা কেওজন ৰাজকোঁৱৰ পলাই সাৰি যাবলৈ চেষ্টা কৰোতে ৰূপ সন্দিকৈৰ বাহিনীয়ে আগছি ধৰিলে। ফলত কেওজন ৰাজকোঁৱৰৰ ৰণ থলিতে মৃত্যু হ'ল।[৩৭] মৃত কোঁৱৰসকল আছিল তিলৈ কোঁৱৰ, চৌচম কোঁৱৰ, চৌচোপাল কোঁৱৰ আৰু চৌচাই কোঁৱৰ।[৩৮]

বুৰঞ্জীৰ এই বৰ্ণনাৰ পৰা এইটো স্পষ্টকৈ জানিব পাৰি যে, চুহুংমুং আৰু তেওঁৰ উত্তৰাধিকাৰী আহোম ৰজা চুক্লেনমুঙৰ দিনলৈকে চুতীয়া ৰাজ্য সদিয়া জয় কৰি তাত আহোমৰ নিষ্কন্টক শাসন বলবৎ হোৱা নাছিল। ইয়াৰ এটা প্ৰধান কাৰণ আছিল এই যে বহুকেইজন সিংহাসনৰ পৰা বঞ্চিত আহোম কোঁৱৰে আহোমৰ শাসনৰ বিৰোধিতা কৰিছিল আৰু চুতীয়া বিদ্ৰোহীসকলৰ লগত যোগ দি যুদ্ধ কৰিছিল। আহোম-চুতীয়াৰ মাজৰ এই

৩৪ ঐ

৩৫ ঐ

৩৬ ঐ

৩৭ ঐ, বুৰঞ্জীখনত (পৃঃ ২০-২৬) অতি সংক্ষেপে এইদৰে উল্লেখ আছে - "সেই সময় শদিয়াৰ বৰপাত্ৰ মৰিল, ১৪৭২ শক। সেই সময় চুটিয়াৰ কঙ্কৰ পাত্ৰ বোলে, - 'মই আপুনি সকল।' এহি বুলি শদিয়াতে ৰাজা হ'ব খুজিলে। আক ৩ কোঁৱৰ ডেকাৰাজাৰ পো ৰন কৰো বুলি উঠাই লৈ কঙ্কৰ পাত্ৰৰ লগ ললে গৈ। ১৪৭৩ শকত। ..... স্বৰ্গৰাজাৰ আজ্ঞাৰে ভাদ্ৰতে গৈ তিনিমুৱনিত আহি আহিনত বৰসন্ধিকৈয়ে শদিয়া মাৰিলে। কঙ্কপাত্ৰ পৰিল। চুটিয়া অনেক পৰিল। সেই সময়তে ডেকা ৰজাৰ পোৱক ভয় হুই পলাই যাওঁতে বৰসন্ধিকৈয়ে খেদি যাওঁতে চোটাই কোঁৱৰে চুটিয়াৰ চুঙ্গি সহিতে আবৰি ধৰিলে, কুণ্ডিলৰ কাখৰত। মাজৰে পৰা লৰ মাৰি পানীত ঝাপ মাৰি এৰাই আহিল। পাচে আপোনাৰ মাজ উঠিল। বৰসন্ধিকৈ পৰিল বুলি আনাকাদিনা আপোনাৰ লোক জন সহিতে খেদি গল। যাবৰ দেখি সকলো পলাই যাওঁতে ৰূপসন্ধিকৈয়ে পাচ ভেটি ধৰিলে, কলৈকো যাব নোৱৰিলে, ফাগুন মাহ। টিলৈ কোঁৱৰ, চৌচাম কোঁৱৰ, চৌচোপাল, চৌচাই ৭ টা পুস্না কোঁৱৰক মাৰিলে। টিলৌ কোঁৱৰক আদি কৰি সবাকে চাৰিঙত পাতিলে, ১৪৭৫ শক।

৩৮ ঐ



[illegible] সম্পৰ্কই আহোমৰ আধিপত্যৰ অন্তৰ্নিহিত দুৰ্বলতাৰ কথাকে সূচায়। কিন্তু চুতীয়া বিদ্ৰোহীসকলে নিজৰ অসমৰ্থতা আৰু ৰাজনৈতিক নেতৃত্বৰ অভাৱত সেই দুৰ্বলতাৰ পূৰ্ণমাত্ৰা সুবিধা ল'ব নোৱাৰিলে।

কঙ্কপাত্ৰৰ বিদ্ৰোহ পৰৱৰ্তী চুতীয়া বিদ্ৰোহৰ ভিতৰত একমাত্ৰ কৃতকাৰ্য বিদ্ৰোহ আছিল। দুটা দিশত এই বিদ্ৰোহৰ গুৰুত্ব আছিল উল্লেখযোগ্য। এই বিদ্ৰোহেই একমাত্ৰ বিদ্ৰোহ আছিল যাৰ ফলত সদিয়া ৰাজ্যই অলপদিনৰ কাৰণে হ'লেও আহোমৰ কবলৰ পৰা মুক্তি লাভ কৰি স্বাধীনতা লাভ কৰিছিল। আনহাতে এই বিদ্ৰোহী নেতৃবৃন্দই সৰ্বপ্ৰথম আহোম ৰজাঘৰীয়া সেনা-বাহিনীৰ মাজত বিভাজন আনি একাংশৰ সমৰ্থন আদায় কৰিবলৈ সমৰ্থ হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত এনে বৈশিষ্ট্যবোৰৰ পুনৰাবৃত্তি দেখা যায়।[৩৯]

সংগঠিত ৰূপত আয়োজন কৰা এই বিদ্ৰোহ শেষ মুহূৰ্তত অকৃতকাৰ্য হ'লেও বিদ্ৰোহীসকলক আহোম সেনাই অধিক কালৰ বাবে দমন কৰি ৰাখিব নোৱাৰিলে। চুক্লেনমুঙৰ উত্তৰাধিকাৰী স্বৰ্গদেউ-চুখাম্‌ফা খোৰা ৰজাৰ সময়ত (১৫৫২-১৬০৩ খ্ৰীঃ) ১৫৬৫ খ্ৰীঃত চুতীয়া বিদ্ৰোহীসকলে পুনৰ মূৰ দাঙি উঠিল।[৪০] ইতিমধ্যে কোচ ৰজা নৰনাৰায়নৰ আক্ৰমণ আৰু আহোম স্বৰ্গদেৱৰ কোচ ৰজাৰ বশ্যতা স্বীকাৰৰ[৪১] দৰে গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিস্থিতিয়ে হয়তো চুতীয়া বিদ্ৰোহীসকলক বহুপৰিমাণে উৎসাহিত কৰি তুলিছিল। কোচ ৰজাৰ বুৰঞ্জী সম্বলিত **দৰং-ৰাজবংশাৱলী**ত উল্লেখ আছে যে, আহোম ৰাজ্য আক্ৰমণ কৰি গড়গাঁও অধিকাৰ কৰিবৰ সময়ত পলৰীয়া হৈ ঘুৰি-ফুৰা চুতীয়া ৰাজবংশৰ কোঁৱৰসকলৰো কোনো কোনোৱে গড়গাঁৱত নৰনাৰায়নক লগ ধৰি নিজৰ অতীত বৃত্তান্ত বেকত কৰিছিল।[৪২] যতদূৰ সম্ভৱ, হেৰোৱা ৰাজ্য পুনৰুদ্ধাৰৰ বাবে

৩৯ মোৱামৰীয়া বিদ্ৰোহীসকলৰ প্ৰধান সঙ্গী আছিল আহোম ৰাজকোঁৱৰ মোহনমালা গোহাঁই। তেওঁ শৰীৰত বসন্তৰ দাগ থকাৰ অজুহাতত শাৰিৰীকভাৱে অনুপযুক্ত বিবেচিত হৈ আহোমৰ ৰাজসিংহানৰ দাবী এৰিব লগা হোৱাত ক্ষোভিত হৈ ৰজাঘৰৰ বিৰুদ্ধে ঠিয় দি বিদ্ৰোহীসকলৰ লগ লাগিছিল। বিস্তৃত বিৱৰণৰ বাবে চাওক - S.K. Bhuyan, **Anglo-Assamese Relations**, Gauhati, 1949, pp. 204-305.

৪০ **Ahom Buranji**, p. 89.

৪১ Gait, **A History of Assam**, p. 52.

৪২ **দৰংৰাজ বংশাৱলী**ত আছেঃ

পূৰ্বে চুটিয়াৰ ৰজা সিঠাৱে আছিল।
অন্যায়ে অসম ছল কৰিয়া মাৰিল।।
যিমতে মাৰিল তাৰ শুনিয়ো কাহিনী।
বলে নপাৰিয়া স্বৰ্গী ৰাজা মনে গুণি।। ৩৬৪

তাৰ পুত্ৰ ভাই যত সকলে পলাইল।
মিৰি মিচিমিত পশি প্ৰাণক ৰাখিলা।।
চুটিয়াৰ ৰাজাক মাৰিয়া ছলে বলে।
লৈলা সেহি ৰাজ্যক অসমে কৌতূহলে।। ৩৭১

পলৰীয়া চুটিয়াৰ পুত্ৰ নাতি যত।
মল্লদেৱ আসিবাৰ শুনিয়া সাম্প্ৰত।।
শৰণে পশিয়া সবে বৃত্তান্ত কহিলা।
হেন শুনি নৃপতিৰ দায়া সম্পজিলা। ৩৭২

নকৰিবি ভয় বুলি দিলন্ত নিৰ্ভয়।
দিলা বণ্টা তাস স্বাক নৃপ মহাশয়।।
ভাঠীদেশে যায়ো বুলি নৃপতি পাঞ্চিলা।
বাঁহবাৰি নামে গ্ৰাম তথাতে থাপিলা। ৩৭৩

যত্ন কৰিছিল। উল্লেখ আছে যে, চুতীয়া ৰাজকোঁৱৰৰ আবেদনত ব্যথিত হৈ নৰনাৰায়ণে তেওঁৰ পৰিয়ালক উত্তৰে চতিয়াৰ ওচৰত বাঁহবাৰীত স্থাপন কৰিছিল।[৪৩] চুতীয়া কোঁৱৰৰ এনে দুৰ্ভাগ্যজনক অৱস্থায়ো বিদ্ৰোহীসকলক উৎসাহিত কৰাটো অসম্ভৱ নহয়। বুৰঞ্জীত উল্লেখ আছে যে, ১৫৬২ খ্ৰীঃৰ আহোম-কোচৰ মাজত হোৱা সন্ধিৰ স্বৰ্ত অনুযায়ী কোচ ৰজাৰ সভালৈ আন আন দ্ৰব্য-বস্তুৰ লগতে এজন চুতীয়া কোঁৱৰকো পঠোৱা হৈছিল।[৪৪] এনেবোৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত চুতীয়া বিদ্ৰোহীসকলে নামৰূপ আৰু খেৰাম অঞ্চলৰ গাঁও-ভূই লুট কৰি ধ্বংশ কৰিবলৈ ধৰিলে।[৪৫] উল্লেখ আছে যে এই বিদ্ৰোহীসকলক দমন কৰিবলৈ তেতিয়া আহোম ৰজাই যুৱৰাজ তিপাম ৰজাক পঠালে। কিন্তু বিদ্ৰোহীৰ কাঁড়ৰ আগত তিষ্ঠিব নোৱাৰি তিপাম ৰজাৰ সেনা-বাহিনী উলটি যাবলৈ বাধ্য হয়, আৰু চেচা নৈ পাৰ হৈ ইপাৰে কোঠ মাৰি ৰয়।[৪৬] যুদ্ধত আহোমৰ পৰাজয় হ'লেও চুতীয়া বিদ্ৰোহী বাহিনীয়ে অধিক অগ্ৰগতি লাভ কৰাৰ পুনৰ প্ৰয়াস নকৰিলে। আনহাতে বিদ্ৰোহ দমনৰ দ্বিতীয় পথ হিচাপে আহোম সেনা-বাহিনীয়ে কি ব্যৱস্থা গ্ৰহণ কৰিলে সেই বিষয়েও বুৰঞ্জীবোৰত কোনো উল্লেখ নাই। অনুমান কৰিব পাৰি যে, সদিয়া চহৰক কেন্দ্ৰ কৰি চুতীয়া ৰাজ্যখনত আহোমৰ আধিপত্য বিস্তাৰ হ'লেও সীমা-মূৰীয়া অঞ্চলসমূহত তেতিয়াও চুতীয়াসকলৰ প্ৰাধান্যই চলি থাকিছিল আৰু সেইবোৰতেই চুতীয়া বিদ্ৰোহীসকলৰ প্ৰধান ঘাটিবোৰ গঢ়ি উঠিছিল।

নামৰূপত হোৱা বিদ্ৰোহৰ পিছত ১৫৭২ খ্ৰীঃত চুতীয়াসকলে পুনৰ বিদ্ৰোহ কৰি উঠিছিল। সেই সময়ত আহোম স্বৰ্গদেৱ চুখাম্ফাই দিবাং নদীৰ মুখত হাতী ধৰি আছিল।[৪৭] সম্ভৱতঃ চুতীয়াৰ এই বিদ্ৰোহ পূৰ্বৰ নামৰূপ আৰু খেৰামত হোৱা বিদ্ৰোহৰেই ধাৰাবাহিক অংশ এটাহে আছিল। এইবাৰ বিদ্ৰোহীসকলৰ সেনাপতিক ধৰিবলৈ স্বৰ্গদেৱে চাৰিং ৰজা, বুঢ়াগোহাঁই আৰু সন্দিকৈৰ অধীনত শক্তিশালী এদল সৈন্য পঠালে।[৪৮] আহোম সেনাৰ আগমনত এইবাৰ চুতীয়া সেনাপতি পলাই গৈ চুতীয়া অধ্যুষিত কান্তাই অঞ্চলত সোমালেগৈ।[৪৯] কিন্তু আহোম সেনাই বিদ্ৰোহী চুতীয়া সেনাপতি, কান্তাই গাঁৱৰ মুখীয়াল

---

৪৩ সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**ৰ ৩৩ পৃষ্ঠা চাওক। বুৰঞ্জীখনত আছে যে নৰনাৰায়নে আহোমৰ চু-খাম্-ফা খোঁৱা ৰজাক পৰাস্ত কৰি তেওঁৰ পৰা বহুত মূল্যবান বস্তু সহ ৰাজপৰিয়ালৰ কোনো সদস্যকো বিচৰাত স্বৰ্গদেৱে "ৰাজ্য ভাগিবৰ দেখি ৰাউমূৱা হাতী, পক্ষিৰাই ঘোঁৰা, বেঙ গোঁহাই, চুটিয়া কোঁৱৰ, আনো বস্তুজাত সহিতে ওল দিলে।" এই উদ্ধৃতিৰ পৰা অনুমান কৰিব পাৰি যে আহোমৰ স্বৰ্গদেৱে ৰাজধানীতে বা ইয়াৰ কাষতে চুতীয়া ৰাজ পৰিয়ালৰ কোনো সদস্যক পূৰ্বে সংস্থাপন দিছিল, আৰু তেওঁলোকক পৰৱৰ্তী সম্ভ্ৰান্ত ব্যৱহাৰেই কৰিছিল।

৪৪ **Ahom Buranji**, p.89.

৪৫ ঐ

৪৬ ঐ, ৯১-৯২ পৃষ্ঠা; **দেওধাই অসম বুৰঞ্জী**, ৫১ পৃষ্ঠা।

৪৭ ঐ

৪৮ ঐ; **Ahom Buranji**, (pp. 91-92) ত 'খাঞ্চাই' বুলি উল্লেখ আছে।

৪৯ ঐ



(ৰজা) আৰু বহুতো চুতীয়া লোকক ধৰি বন্দী কৰি নি স্বৰ্গদেৱৰ ওচৰত শোধালেগৈ।[৫০] অৱশ্যে, বন্দীসকলৰ দশা কি হ'ল জনা নাযায়। ড° লক্ষী দেৱীয়ে অনুমান কৰিছে যে তেওঁলোকক প্ৰাণে মাৰিবও পাৰে, বা স্থানান্তৰিত কৰি ৰাজ্যৰ ভিতৰুৱা অঞ্চলত স্থাপন কৰিবও পাৰে।[৫১] যতদূৰ সম্ভৱ সেনাপতি আৰু মুখীয়ালজনক হত্যা কৰি সাধাৰণ [illegible] কোনো ঠাইত সংস্থাপনেই কৰিছিল।

খ্ৰীঃ ১৬ শতিকাৰ মাজভাগৰ পৰা চুতীয়াসকলৰ বিদ্ৰোহৰ সঘনতা ক্ৰমে কমি আহিছিল। ১৫৭২ খ্ৰীঃৰ পিছত প্ৰায় এশবছৰ কাললৈ চুতীয়া বিদ্ৰোহৰ বিষয়ে বুৰঞ্জীত কোনো কথা উল্লেখ পোৱা নাযায়। তথাপি, চুতীয়াসকলৰ মনত বিদ্ৰোহী মনোভাৱে [illegible] কৰি আছিল আৰু সুবিধা পালেই আহোমৰ আধিপত্য ওফৰাই পেলাবলৈ চেষ্টা কৰি আছিল। এইদৰে, এবাৰ স্বৰ্গদেৱ উদয়াদিত্য সিংহৰ দিনত (১৬৬৯-১৬৭৩) লুকতেং চুতীয়া সকলে (অৰ্থাৎ লুকতেং গাঁৱৰ বা লুকতেং ঠালৰ) ডিমৌৰা আৰু ৰূপীয়া নামৰ দুখন মিৰি (মিচিং জনজাতি) গাঁৱত অত্যাচাৰ কৰি তেওঁলোকে ৰজাক কৰ হিচাপে দিবলৈ থোৱা মাৰ-নাও কিছুমান কাঢ়ি নি আহোম স্বৰ্গদেৱৰ অধিকাৰ স্বত্বত প্ৰতিবাদ জনালে।[৫২] সেই আপাহতে কাফী নামৰ চুতীয়া গাঁও এখনৰ লোকসকলেও আহোম ৰজাক কৰ দিবলৈ অস্বীকাৰ কৰিলে।[৫৩] চুতীয়া গাঁওবাসীসকলৰ এনে বিদ্ৰোহী মনোভাৱ দেখি তেওঁলোকক বশ কৰিবৰ উপায় কৰিবলৈ সদিয়াখোৱা গোঁহাই আৰু মৰঙ্গীখোৱা গোঁহাই - দুয়োকে পঠাই স্বৰ্গদেৱে চেচা নদীৰ মুখত গড় মাৰি দূৰ্গ তৈয়াৰ কৰিবলৈ দিলে, আৰু চুতীয়া বিদ্ৰোহী সকললৈ কৈ পঠালে যে কৰ-কাটল দি ৰাজ আদেশ নামানিলে তেওঁলোকৰ গাঁও, ঘৰ-বাৰী ধ্বংস কৰি পেলোৱা হ'ব।[৫৪] ইতিমধ্যে ১৬৭৩ চনত স্বৰ্গদেৱ উদয়াদিত্য সিংহ সিংহাসনচ্যুত হয় আৰু ভাতৃ ৰজাৰ হাতত মৰা পৰে।[৫৫] ককায়েকক মাৰি ভায়েক চাও চুক্লেন ফাই ৰামধ্বজসিংহ নাম লৈ সিংহাসনত উঠে আৰু ককায়েক উদয়াদিত্য সিংহৰ নীতি কাৰ্যকৰী কৰিবলৈ উঠি-পৰি লাগে। সেই উদ্দেশ্যে তেওঁ 'বৰুৱা' কেইজনমানক উজাই চুতীয়া গড় মাৰিবলৈ পঠালে।[৫৬] ইতিমধ্যে চুতীয়া বিদ্ৰোহী গাঁওবাসীসকল ধনু-কাঁড়েৰে সু-সজ্জিত হৈ ওচৰৰ মিৰি (মিচিং) গাঁৱত গোটখাই আছিল।[৫৭] গাঁওবাসীৰ এই অনুপস্থিতিৰ সুযোগ লৈ আহোম সেনায়ো চুতীয়া গাঁওখন

---

৫০ ঐ

৫১ পূৰ্বোক্ত গ্ৰন্থৰ ৭০ পৃষ্ঠা দ্ৰষ্টব্য।

৫২ **Ahom Buranji**, p. 227.

৫৩ ঐ

৫৪ ঐ

৫৫ Gait, **A History of Assam**, p.158.

৫৬ **Ahom Buranji**, p. 229-230.

৫৭ ঐ

অধিকাৰ কৰি ল'লে। সেই সময়ত আহোম সেনাৰ লগত মিৰি বৰুৱা আৰু মিৰি চৌতাঙ বা কটকীয়েও সহযোগ জনোৱাত চুতীয়াৰ বৰুৱাই মিৰি চৌতাঙক ককৰ্থনা কৰি মাত বোল কৰিলে আৰু ক'লে যে আহোম ৰজাৰ কটকী তেওঁলোকৰ গাঁৱলৈ কৰ সংগ্ৰহ কৰিবলৈ যোৱা কোনো নজিৰ নাই, এতিয়া কিয় গৈছে,[৫৮] অৰ্থাৎ চুতীয়া বৰুৱাই মুকলি-মূৰীয়াকৈ আহোমৰ অধিকাৰৰ প্ৰতিবাদ জনালে। আহোম স্বৰ্গদেৱৰ অধীনতা স্বীকাৰ কৰি ল'বলৈ কৈ মিৰি চৌতাঙে প্ৰতুত্তৰত ক'লে যে চুতীয়াসকলে যদি হাতী দাঁত, বনৰীয়া গৰু, চিকৰা দা, জিম কাপোৰ আৰু তিৰোতা দাসী কিছুমান কৰ-কাটল হিচাপে স্বৰ্গদেৱলৈ দি পঠায়, তেতিয়াহ'লে তেওঁলোক ৰক্ষা পৰিব পাৰে।[৫৯] চৌতাঙৰ কথাত চুতীয়াসকল শেষত মান্তি হ'ল আৰু কৰ-কাটল দি আহোমৰ বশ্যতা স্বীকাৰ কৰিলে।[৬০] কিন্তু সেই সময়ত সদিয়াত থকা বছা বৰুৱাই চুতীয়া বৰুৱাৰ বিদ্ৰোহী মনোভাৱ বুজিব পাৰি সাৱধান বাণী শুনাই ক'লে - "মই চুতীয়াসকলৰ সঁচ-কঠীয়া মাৰি হত্যা কৰি পুলি-পোখা উভালি পেলাব পাৰো, যাতে তেনে এক দৃষ্টান্তমূলক ঘটনাৰ পিছত কোনেও প্ৰতিবাদ কৰিবলৈ সাহ কৰিব নোৱাৰিব। তথাপি, মই তোমাক মাৰি নেপেলাও। কিন্তু ভৱিষ্যতে এনে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গ'লে তুনি সাৰি যাব নোৱাৰিবা।"[৬১] এই বুলি চুতীয়া বৰুৱাক ভাবুকি দি তেওঁৰ ছাগলী, কুকুৰ, মেকুৰী, কুকুৰা, হাঁহ আৰু পাৰ সকলো পোহনীয়া প্ৰাণী মাৰিলে আৰু মদ খাবলৈ দি চুতীয়া বৰুৱাক আহোমৰ বশ্যতা স্বীকাৰ কৰালে। সেইদৰে, গাঁওবাসী চুতীয়াসকলেও বাধ্যত পৰি আহোমৰ বশ্যতা স্বীকাৰ কৰি ল'লে।[৬২] সেই সুযোগতে নৰাই গাম নামৰ আন এজন চুতীয়া মুখীয়ালকো বশ কৰি বছৰি কৰ-ভাৰ দি থাকিবলৈ আদেশ কৰিলে।[৬৩] শকত-আৰত স্বাস্থ্যৱানসকলক বন্দী কৰি গড়গাঁৱলৈ পঠালে।[৬৪] এইদৰে চুতীয়াসকলৰ দীৰ্ঘ-দিনীয়া বিদ্ৰোহৰ অন্ত পৰিল আৰু নানান কৌশল কৰি সদিয়াৰ কেওকাষে মিৰি-মিচিমিসকলৰ সীমাত বসবাস কৰি থকা চুতীয়াসকলক আহোম ৰজাই বশ্যতা স্বীকাৰ কৰালে।

তাইকাফী গাঁৱৰ চুতীয়া বিদ্ৰোহ কেইবাটাও দিশৰ পৰা মনকৰিব লগা। এই বিদ্ৰোহ আছিল সকলোবোৰ খণ্ডিত বিদ্ৰোহতকৈ দীৰ্ঘদিনীয়া - দুজন স্বৰ্গদেৱৰ ৰাজত্বকাল জোৰা বিদ্ৰোহ। প্ৰধানতঃ সীমামূৰীয়া আৰু দাঁতি-কাষৰীয়া পাহাৰীয় জনজাতিসকলৰ কাষত গাঁও পাতি থকা ভগনীয়া চুতীয়াসকলে এই বিদ্ৰোহৰ আয়োজন কৰিছিল আৰু

[৫৮] ঐ
[৫৯] ঐ
[৬০] ঐ, ২৩০ পৃষ্ঠা
[৬১] ঐ
[৬২] ঐ
[৬৩] ঐ
[৬৪] ঐ



গাঁৱৰে মুখীয়ালসকলে ইয়াৰ গুৰি ধৰিছিল। মন কৰিব লগীয়া যে সদিয়াৰ সীমাত মিৰি অধ্যুষিত অঞ্চলৰ তাইকাফী আৰু লুকতেং চুতীয়াসকলে এই বিদ্ৰোহ কৰিছিল, আৰু নেতৃত্ব দিছিল গাঁওবাসীসকলৰ মাজৰ দুজন মুখীয়াল সদস্যই। সেই দিশৰ পৰা চালে চুতীয়াসকলৰ এই বিদ্ৰোহ আছিল এক তৃণমূল বা সাধাৰণ শ্ৰেণী লোকৰ বিদ্ৰোহ। অৰ্থাৎ আহোম আধিপত্যৰ প্ৰতি চুতীয়া ৰাজবংশ আৰু সম্ভ্ৰান্তসকলৰ উপৰি সাধাৰণ চুতীয়াসকলৰ মনতো বিদ্ৰোহী মনোভাব গঢ়ি উঠিছিল। দ্বিতীয়তে, এই বিদ্ৰোহ আছিল সুদীৰ্ঘ কাল ব্যাপী হোৱা অৰ্থনৈতিক শোষণৰ বিৰুদ্ধে আয়োজিত এক কৃষক প্ৰজাৰ বিদ্ৰোহ। বিদ্ৰোহীসকলৰ প্ৰতিবাদৰ প্ৰধান দিশ আছিল কৰ-কাটল দিবলৈ অস্বীকাৰ কৰি আহোম স্বৰ্গদেৱৰ ন্যাৰ্যতাৰ অৱমাননা কৰাটো। প্ৰত্যক্ষ যুদ্ধ বা সংগ্ৰাম এই বিদ্ৰোহৰ কৌশল নাছিল। সেইয়ে এই বিদ্ৰোহ প্ৰতিবাদ ৰূপত হৈছিল আৰু দীৰ্ঘ দিন ধৰি চলিব পাৰিছিল। যুদ্ধৰ বিশেষ আয়োজনৰ সেয়ে আৱশ্যক নহৈছিল। কিন্তু বিদ্ৰোহীসকলে কোনো কুণ্ঠাবোধ নকৰাকৈ আহোম স্বৰ্গদেৱৰ কৰ্তৃত্ব অস্বীকাৰ কৰিছিল। সেই অৰ্থত ই এক প্ৰকাৰ জনতাৰ বিদ্ৰোহৰ চৰিত্ৰ লৈছিল। তদুপৰি, প্ৰতিবাদৰ সুৰে বিদ্ৰোহীসকলৰ স্ব-নিয়ন্ত্ৰনৰ ধাৰণা এটাৰো উমান দিয়ে। নিজে কৰ-কাটল দিবলৈ অস্বীকাৰ কৰাৰ উপৰি বিদ্ৰোহীসকলে মিৰি (মিচিং)সকলে দিবলৈ নিয়া কৰ-কাটলো বন্ধ কৰিছিল; আৰু কৰ-কাটল তুলিবলৈ আহোম ৰজাৰ কোনো অধিকাৰ নথকা বুলি তেওঁলোকে প্ৰতিবাদ কৰিছিল। এই বিদ্ৰোহৰ এইটো অতি মন কৰিব লগা দিশ। ইয়াৰ অৰ্থ এয়ে আছিল যে চুতীয়া ৰাজ্যখনৰ ৰাজধানীসহ কেন্দ্ৰীয় ভূ-খণ্ড অধিকাৰ কৰিলেও ক্ৰমে পাহাৰৰ পাদদেশীয় ঠাইবোৰলৈ সেই অধিকাৰ সম্প্ৰসাৰণত আহোম ৰজাই বাধা পাইছিল। পিছৰ যুগত মোৱামৰীয়া বিদ্ৰোহৰ সময়ত উজনিৰ মৰাণ-বৰাহী-চুতীয়াসকলৰ বিদ্ৰোহত এই প্ৰতিবাদৰ ধ্বনি শুনিবলৈ পোৱা গৈছিল।[৬৫]

১৬৭৩ খ্ৰীঃৰ পিছত চুতীয়াসকলৰ বিদ্ৰোহ ক্ৰমে শাম কাটি আহে। বুৰঞ্জীবিলাকত সেই সময়ছোৱাত বিদ্ৰোহ হোৱাৰ বিষয়ে কোনো উল্লেখ পোৱা নাযায়। যতদূৰ সম্ভৱ সুদীৰ্ঘ ডেৰশ বছৰ কাল (১৫২৩-১৬৭৩ খ্ৰীঃ) বিদ্ৰোহ কৰিও আহোমৰ শক্তিশালী শাসন ওফৰাই পেলাব নোৱাৰি তেওঁলোকৰ মনত বিদ্ৰোহী কাৰ্যৰ প্ৰতি আস্থা কমি আহিছিল আৰু আহোম ৰাষ্ট্ৰ যন্ত্ৰক আঁতৰাই চুতীয়া শাসন পুনৰ প্ৰৱৰ্তন সম্ভৱ নহয় বুলি তেওঁলোক পতিয়ন গৈছিল। ইতিমধ্যে আহোম স্বৰ্গদেৱসকলৰ স্বাভাৱিক সংশ্লেষণ নীতিৰ বাবেও বহুতো চুতীয়া মানুহ আহোম সম্প্ৰদায় ভূক্ত হৈ ৰাজ্যৰ শাসন তন্ত্ৰৰ

[৬৫] মোৱামৰীয়া বিদ্ৰোহৰ আৰম্ভণি হয় মোৱামৰীয়া মৰাণসকলৰ এক নিজস্ব অভিনৱ প্ৰতিবাদেৰে, যাৰ অৰ্থ আছিল জনজাতিসকলৰ অধ্যুষিত এলেকাত জন্মগত ভাৱে তেওঁলোকে লাভ কৰা অধিকাৰ অনাধিকাৰী আহোম প্ৰশাসনৰ পৰা নিশ্চিত ভাৱে সুৰক্ষা কৰা। সেয়ে, নামৰূপৰ অৰণ্যত সমবেতহৈ আহোম ৰজাঘৰীয়া লোকক কাঠ কাটিবলৈ নিদি তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰে। মন কৰিব লগা যে মোৱামৰীয়া-মৰাণসকলে ৰাজ্যৰ ৰাজধানীৰ ফালে সদলবলে আগবাঢ়ি গৈ আক্ৰমণ কৰা নাছিল। বৰঞ্চ নিজৰ এলেকাৰ ভিতৰতে অস্ত্ৰ-সস্ত্ৰৰে

অংশীদাৰ হৈ পৰিছিল।[৬৬] দুই সম্প্ৰদায়ৰ মাজত হোৱা বিয়া-বাৰুৰ মাধ্যমেদিও এই সংমিশ্ৰণ অধিকতৰ হৈছিল। লক্ষ্মী দেৱীৰ মতে এনেদৰে ঘটা সামাজিক সংশ্লেষণৰ ভেটিতেই মূৰকত 'আহোম হোৱা চুতীয়া' বা 'আহোম-চুতীয়া' শ্ৰেণী এটা সৃষ্টি হৈছিল।[৬৭] এইদৰে একাংশ চুতীয়া ব্ৰাহ্মণ্য বৰ্ণবাদৰ ওপৰ স্তৰলৈ গতি কৰি অব্ৰাহ্মণ্য-চুতীয়াসকলৰ পৰা পৃথক হৈ এসময়ত সমান্তৰাল চুতীয়া গোট এটাৰ সৃষ্টি হৈছিল। সি যি কি নহওক, এনেদৰে হোৱা সংমিশ্ৰণ আৰু তাৰ ফলত সৃষ্টি হোৱা দুই জাতিৰ মাজত সম্পৰ্কৰ জৰিয়তে আহোম-চুতীয়া ৰাজতন্ত্ৰৰ মাজত সৃষ্টি হোৱা অধিকাৰ প্ৰত্যাহ্বান ক্ৰমে নোহোৱা হয়, আৰু চুতীয়াসকলৰ মাজত সৃষ্টি হোৱা বিদ্ৰোহী মনোভাৱ লাহে লাহে জয় পৰি যায়। এসময়ত প্ৰায় ডেৰশ বছৰীয়া সুদীৰ্ঘ কালৰ বিদ্ৰোহৰ অন্ত পৰে, অন্ততঃ প্ৰত্যক্ষ দৃষ্টিত ই নোহোৱা হয়।

বাহ্যিক দৃষ্টিত চুতীয়াসকলৰ বিদ্ৰোহৰ অন্ত পৰিলেও, ভিতৰি অৱশ্যে তেওঁলোকৰ মাজত ৰাজ হেৰুৱা ক্ষোভ মাৰ যোৱা নাছিল, বিশেষকৈ সম্ভ্ৰান্ত আৰু ৰজাঘৰীয়া সদস্যসকলৰ মনত। যদিও তাৰ প্ৰত্যক্ষ প্ৰমাণ পাবলৈ নাই, তথাপি আহোম ৰাজ্যখনত ঘটা পৰৱৰ্তী কালৰ প্ৰধান প্ৰধান ঘটনাসমূহ চালি-জাৰি চালে তাৰ উঁহ পোৱা যায় মোৱামৰীয়া বিদ্ৰোহৰ সময়ত।

সুদীৰ্ঘ ছশবছৰীয়া শাসন কালত প্ৰৱল প্ৰতাপেৰে প্ৰায় আঢ়ৈশ বছৰ কাল (১৫২৩-১৭৬৯ খ্ৰীঃ) ৰাজত্ব কৰা আহোম ৰাজবংশৰ পতনৰ মূল বিন্দু আৰম্ভ হয় ১৭৬৯ খ্ৰীঃত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত। এই বিদ্ৰোহৰ অংশীদাৰসকলৰ ভিতৰত চুতীয়াসকলৰ একাংশও আছিল। কাৰণ, বহুতো চুতীয়া মায়ামৰা সত্ৰৰ শিষ্য আছিল। উল্লেখযোগ্য যে, নৃগোষ্ঠীয় দৃষ্টিৰ ফালৰ পৰাও চুতীয়াসকল বড়ো গোষ্ঠীৰে অংশ আছিল, আৰু সেই আপাহতে তেওঁলোক মৰাণ-মটক সকলেৰে সম্পৰ্কিত আছিল। মোৱামৰীয়া বিদ্ৰোহত চুতীয়াসকলৰ অংশ গ্ৰহণো সেয়ে মন কৰিবলগা।

---

সাজুহৈ থাকি ৰজাঘৰীয়া বিষয়াসকলক সেই অঞ্চলত কাঠ কটাৰ পৰা বাৰণ কৰিছিল। বুৰঞ্জীত আছে, "পাচে সেই শকতে ˚ ৰ আজ্ঞাৰে বৰবৰুৱা বৰঢাক কাটিবলৈ মানুহ দিছিল। সেই মানুহ আহি বৰবৰুৱাত বাৰ্তা জনালেহি, - "হাতীচুঙ্গি মৰাণে অৰীতিয়া মতে প্ৰবৰ্ত্তি, ৰজা, বৰবৰুৱা পাতি ৰণ পাতিছে, এতেকে আমি বৰঢাক কাটিব নোৱাৰিলো।" (**তুংখুঙীয়া বুৰঞ্জী**, ২য় সম্পাদনা, গুৱাহাটী, ১৯৬৪, ৫৭ পৃষ্ঠা)। সাধাৰণ কথাত, জনজাতীয়সকলৰ প্ৰাকৃতিক সম্পদ (natural resources) অৰণ্যৰ অধিকাৰত ৰজাঘৰীয়া ভাৱে চলোৱা শোষণৰ ই আছিল ৰাজনৈতিক প্ৰতিবাদ আৰু ইয়াৰ স্বৰূপ আছিল ৰজাঘৰীয়া অধিকাৰক বাধা দিয়া আৰু নিজৰ স্বাধীনতা ঘোষণা কৰা। সেই অৰ্থত শদিয়াৰ ভিতৰুৱা পাহাৰৰ পাদদেশত সংঘটিত হোৱা তাই ফাকে গাঁৱৰ বিদ্ৰোহৰ চৰিত্ৰও বিশেষভাৱে মন কৰিব লগা।

৬৬ মন কৰিব লগা যে নামৰূপৰ হাবিত হোৱা মোৱামৰীয়া মৰাণসকলৰ বিদ্ৰোহ দমন কৰিবলৈ আহোম স্বৰ্গদেৱ লক্ষ্মীসিংহই সৰ্বপ্ৰথমে চুতীয়া হাজৰিকা এজনৰ অধীনত ৰজাঘৰীয়া সেনাবাহিনী পঠাইছিল। "পৰে ˚ৰ আজ্ঞায়ে বৰবৰুৱাইও বিচাৰ কৰি চাই ৰণ হেন জানি ভিতৰুৱাল চুটিয়া কাঁড়ী হাজাৰৰ হাজৰিকীয়া সৈতে দি টেকেলা বৰা বেজক মূৰ কৰি ৰনলৈ দিলে। সিহঁতো ক্ৰমে গৈ মৰাণে ৰন পতা ঠাই পালেগৈ"। - ঐ

৬৭ L. Devi, *op. cit.*, pp. 75-76.



মোৱামৰীয়া বিদ্ৰোহৰ শেষ পৰ্যায়ত তিনিচুকীয়াক কেন্দ্ৰ কৰি মটক ৰাজ্য এখন প্ৰতিষ্ঠা হৈছিল আৰু সেই ৰাজ্যৰ ৰজা হৈছিল এজন চুতীয়া ৰাজ বংশৰ অধস্তন।[৬৮] উল্লেখযোগ্য যে তিনিচুকীয়া বা ৰঙ্গাগৰা বা বেংমৰাক কেন্দ্ৰ কৰি মটক ৰাজ্য এখন [illegible] সৰ্বানন্দ সিংহ তাৰ ৰজা হোৱাত প্ৰথম অসন্তুষ্ট হৈছিল এতিয়াও আদিম স্তৰৰ [illegible] সামাজিক অৱস্থাত থকা মৰাণ বিদ্ৰোহীসকল, যিসকলে প্ৰথমে মোৱামৰীয়া বিদ্ৰোহৰ সূচনা কৰিছিল, অথচ তেওঁলোকৰ বিদ্ৰোহৰ পৰিণতিত বেংমৰাত শেষপৰ্যায়ত ৰাজ্য এখন প্ৰতিষ্ঠা হৈছিল যদিও তাৰ স্বত্বাধিকাৰ তেওঁলোকে নাপাইছিল। সৰ্বানন্দ সিংহ প্ৰত্যক্ষভাৱে মৰাণ সম্প্ৰদায়ৰ সদস্য নোহোৱাটোৱেই এই অসন্তুষ্টিৰ অন্য এক কাৰণ আছিল বুলি কোনো কোনো গৱেষকে অনুমান কৰে।[৬৯]

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে, আৰম্ভণিৰ পৰাই চুতীয়া ৰাজ্যৰ প্ৰজাসকলে ৰাজ্য হেৰুৱাৰ ক্ষোভত আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। বিশেষকৈ ৰাজপৰিয়ালৰ সদস্যসকলক স্থানান্তৰিত কৰি চুতীয়া সম্ভ্ৰান্তসকলক ছিন্ন-ভিন্ন কৰি

---

৬৮ S. Dutta, **The Mataks and their Kingdom**, pp. 189-190. Gait এও লিখিছে যে মটক ৰাজ্যখনৰ ৰজাজনৰ (বৰসেনাপতি) চুতীয়া সম্প্ৰদায়ৰ আছিল। (**A History of Assam**, p. 190, foot note)। মটকৰ 'বৰ সেনাপতি' বা ৰজাজন চুতীয়া জনগোষ্ঠীৰ আছিল বুলি বিশেষ ভাৱে উল্লেখ কৰাত ("The Bar Senapati was a Chutiya by caste"), Gait ৰ ঔপনিৱেশিক মনোভাৱ সিমানেই নাথাকক লাগিলে, বৰসেনাপতিৰ পদটো যে চুতীয়া গোষ্ঠীৰ সদস্য এজনে লাভ কৰিছিল সেইটো নিশ্চিত।

৬৯ S. Dutta ই তেওঁৰ পূৰ্বোক্ত গ্ৰন্থত লিখিছে -".... in the mean time, disintegration had set in amongest the Mataks and fissiparous tendencies were to be seen even during the later part of the rule of Matibar. Opinions differ as regards the causes of this disunity. According to Capt. White, the dissensions were occasioned by sectarian differences between the Morans, the inhabitants of Upper Matak, who were followers of the *Mahanta* of Tiphuk *Satra*, a branch of the main Mayamara *Satra* and the non-Morans, who inhabited the Lower Matak and were disciples of Bhaktanandadev, the head of the main *Satra.* But according to Capt. Vetch, the quarrel arose 'from the indepedent feeling of the Morans', who could not submit 'quietly to be taxed by those whom they always considered on an equality with them. Capt. Hannay echoes a similar view stating that the 'Morans, who had set up a *Guru* for them, considered themselves on an equality with the Senaputtee, and 'they are not at all satisfied with the high station he (meaning Barsenapati) has lately assumed, and particularly with their having been money taxed, and also with regards to other exactions made on them by him.'.
.... The Morans were also dissatisfied with the fact that ignoring their immense contribution to the success of the Rebellion, since the very beginning, Sarabananda, a Buruk-Chutiya, was made the King at the influence of the *Mahanta*. Further, the Matak capital at Bengmara was situated at a considerable distance from the locality of the Morans, for which, they could not have a close touch with it. They also felt that they were not getting their due share in the new administration.", pp. 214-215.

পেলোৱাত চুতীয়া ৰাজন্য গোষ্ঠীৰ লগতে সাধাৰণ প্ৰজায়ো প্ৰতিবাদ কৰিছিল। এনেবোৰ প্ৰতিবাদৰ অংশ হিচাপেই চুতীয়া ৰাজপৰিয়ালৰ কোনো এগৰাকী উত্তৰাধীকাৰীয়ে কোঁচ ৰজা নৰনাৰায়ণৰ ওচৰত আবেদন কৰি নিজৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে নিবেদন কৰিছিল, আৰু কেনেকৈ অন্যায় কৰি আহোম ৰজাই চুতীয়া ৰাজ্যখন অধিকাৰ কৰি তেওঁলোকক ব্যতিবস্ত কৰিছিল তাক উল্লেখ কৰি মনৰ ক্ষোভ প্ৰকাশ কৰিছিল।[৭০]

উল্লেখযোগ্য যে সৰ্বানন্দ সিংহই বেংমৰাত ৰাজ্য পাতিয়ে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছিল। তেওঁ নিজকে চুতীয়া ৰজাৰ বংশধৰ বুলি ঘোষণা কৰি চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা বীৰপালৰ বংশ পৰম্পৰা দেখুৱাইছিল আৰু কুবেৰক ইষ্ট গুৰু বুলি ঘোষণা কৰিছিল।[৭১] মন কৰিব লগা দিশটো হ'ল সৰ্বানন্দ সিংহই নিজকে চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা বীৰপালৰ বংশধৰ বুলি পৰিচয় দিবলৈ কৰা প্ৰচেষ্টাটো। মোৱামৰীয়া বিদ্ৰোহত মৰাণ-মটকসকলৰ লগত মিলি সাধাৰণ প্ৰজা হিচাপে যোগ দিবলৈ যোৱা হ'লে তেওঁ ৰজা হৈ ৰাজবংশৰ ঐতিহ্যৰ দাবী নকৰিলেহেঁতেন। গুৰুত্ব এই খিনিতে। আনহাতে, আহোমসকল অসমলৈ অহাৰ সময়ত মৰাণ-বৰাহীৰ নিজ নিজ একোখন ৰাজ্য আছিল। তেওঁলোকেও নিজ নিজ ৰাজ্য চুকাফাৰ ৰাজনৈতিক চাতুৰ্যত পৰি হেৰুৱাব লগা হৈছিল। সেই অৰ্থত মোৱামৰীয়া বিদ্ৰোহ আছিল একপ্ৰকাৰ আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে বিজিত আৰু নিষ্পেষিত ৰাজনৈতিক শক্তিসমূহৰ এক ঐক্যবদ্ধ আৰু উমৈহতীয়া বিদ্ৰোহ মাথো। মৰাণ-বৰাহী আৰু চুতীয়াসকলৰ আছিল ৰাজ্য হেৰুৱাৰ ক্ষোভ, আনহাতে কৈৱৰ্তসকলৰ ক্ষোভ প্ৰকাশ হৈছিল সামাজিক তাচ্ছিল্য আৰু অৱমাননাৰ প্ৰতিবাদ হিচাবে, আৰু কামৰূপীয় 'ঢেকেৰী'সকলৰ বাবে ই আছিল আহোম ৰাজতন্ত্ৰৰ অনাহক আধিপত্যৰ প্ৰতিবাদ। সেইদৰে নগঞাসকলৰ প্ৰতিবাদ আছিল আহোম সম্ভ্ৰান্ত তন্ত্ৰৰ অত্যাচাৰৰ বিপৰীতে। গতিকে অনুমান কৰিব পাৰি যে মোৱামৰীয়া বিদ্ৰোহত অংশ গ্ৰহণ আছিল চুতীয়া ৰাজতন্ত্ৰৰ উত্থানৰ এক পৰোক্ষ আৰু পৰৱৰ্তী পৰ্যায়ত প্ৰচেষ্টা।[৭২]

মোৱামৰীয়া বিদ্ৰোহৰ অন্তত আহোম ৰাজ শক্তি ভাগি পৰিছিল। এফালে ৰাজতন্ত্ৰৰ অৱনতি, আনফালে ভাঙিপৰা সমাজ আৰু অৰ্থনৈতিক অৱস্থাই সাম্ৰাজ্যবাদী

---

৭০ পাদটীকা নং ৪৫ দ্ৰষ্টব্য।

৭১ S. Dutta, *op. cit.*, p. 190; সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য** (গুৱাহাটী, ১৯৬৫), পৃঃ ৮৪; **চুটকী চন্দ্ৰৰ বংশাৱলী**।

৭২ D. Nath এ লিখিছে- 'It is interesting that the dominant force in the Mayamara civil war were the most deprived communities the Morans-Mataks, the Kacharis, the Kaivartas, the Chutiyas, and a section of the Ahoms. The Mayamara revolt made it clear that the ethnic bonds were for stronger among the masses that the extent of assimilation forced upon them by the state or the Neo-Vaishnava movement. For, during this revolt, besides the Morans who initiated it, the Kaivartas under Harihar tried to establish their own identity; the Kacharis and the Chutiyas



ৰজা আৰু ব্ৰিটিছক হাত বাউল দি মাতিছিল। ফলত অনতিপলমে, দুটা দশকৰ ভিতৰতে অসমত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা হয়। ইংৰাজ কোম্পানী চৰকাৰ কিন্তু কেৱল অসমখনকলৈয়ে সন্তুষ্ট নাছিল; তেওঁলোকৰ আকাংখ্যা আছিল বিস্তৃত। ফলত অতিকম সময়ৰ ভিতৰতে তেওঁলোকে অসমৰ দেওনা অতিক্ৰমি চাৰিও ফালৰ ৰাজ্যাংশবোৰ অধিকাৰ কৰি ল'লে। এইদৰে ১৮৩৯ খ্ৰীঃত ইংৰাজে বৰ্তমানৰ ডিব্ৰুগড়-তিনিচুকীয়া জিলা সামৰি লোৱা মটক ৰাজ্যখনোঅধিকাৰ কৰি ল'লে।[৭৩] ফলত কথমপি উশাহ পোৱা মটক ৰাজ্যৰ প্ৰজাবৰ্গই পুনৰ নিস্পেষনৰ অভিজ্ঞতা লাভ কৰিলে। কিন্তু, এইবাৰ তেওঁলোকৰ আন এক অভিনৱ অভিজ্ঞতা লাভ হ'ল, আৰু তাৰ ফলত তেওঁলোকে এক প্ৰতিদ্বন্দ্বীৰো সন্মুখীন হ'ল। ইংৰাজে অসম অধিকাৰ কৰি ১৮৭১-১৮৭২ খ্ৰীঃৰ পৰা প্ৰণালীবদ্ধভাৱে লোকপিয়ল কৰিবলৈ ধৰিলে, আৰু ১৯০১ খ্ৰীঃলৈকে হোৱা লোকপিয়লৰ কালছোৱাৰ ভিতৰতে সকলো লোককে ওখ-চাপৰ, ডাঙৰ-সৰু শ্ৰেণীত ভাগ কৰি লোকপিয়লৰ কাকতবোৰত লিপিবদ্ধ কৰিলে। ভাৰতৰ সামাজিক ইতিহাসত ইংৰাজে কৰা লোকপিয়ল এক অতি গুৰুত্বপূৰ্ণ ঘটনা। কাৰণ, পিছত মানুহৰ জাত-পাত-বৰ্ণৰ ভিত্তিত, সৰু-ডাঙৰ বহুতো শ্ৰেণীৰ সৃষ্টি হ'ল আৰু ই মানুহৰ মনত স্থায়ীভাৱে গঢ় বান্ধিলে। আন আন লোকৰ ওপৰত পৰাৰ দৰে ইয়াৰ প্ৰভাৱ মটকসকলৰ ওপৰতো পৰিল। ফলত মোৱামৰীয়া বা মায়ামৰীয়াসকলৰ সামাজিক সম্পৰ্ক, একতা আৰু সম্প্ৰীতিৰ ভিত্তিত গঢ়ি উঠিছিল যদিও ক্ৰমে তেওঁলোকৰ মাজতো বৰ্ণভিত্তিক বিভাজন প্ৰক্ৰিয়া এটা আৰম্ভ হ'ল। ব্ৰাহ্মণ্য, কায়স্থ, কলিতা, মৰাণ, মটক, আহোম, চুতীয়াৰ নতুন পৰিচিতি জাগৃত হ'ল।[৭৪] তেতিয়াৰপৰা প্ৰত্যেক জাতি আৰু জনগোষ্ঠীয়ে নিজৰ অতীত ইতিহাস সুঁৱৰি নিজা ঐতিহ্য বজাই ৰাখি সমাজত উচ্চ হ'বলৈ বিচাৰিলে। ফলত সকলোবোৰ জনগোষ্ঠীৰে মাজত গঢ়ি উঠাৰ দৰে চুতীয়াসকলৰ মাজতো নতুন পৰিচয় উত্থাপনৰ চেষ্টাত সাম্প্ৰদায়িক ভিত্তিত আন্দোলন হ'ল। এই আন্দোলৰ গুৰি ধৰিলে

---

were motivated by similar objective to join the rebellion'. D. Nathe 'Ethenicity in Assam - Roots in History', K.M. Deka & K.N. Phukan (ed.), **Ethnicity in Assam**, Dibrugarh University, 2001, p. 66.; বিস্তৃত বিৱৰণৰ বাবে হীৰেন গোহাইৰ প্ৰৱন্ধ 'বিংশ শতাব্দীৰ সংকট' দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সোনালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ, গোলাঘাট, ২০০০, পৃঃ ১৩-১৫ চাওক।

৭৩ S. Dutta, pp. 214-232; ডম্বৰুধৰ নাথ (সম্পাদিত, ডিব্ৰুগড়, ২০০১), **ডিব্ৰুগড়ৰ বুৰঞ্জী**, পৃঃ ৮৩-৯৪।

৭৪ Nicholas B. Dirks, **Caste of Mind**, Delhi, Paperbook, 2003 ৰ প্ৰথম খণ্ড (The Inventor of Caste)ৰ দ্ৰষ্টব্য; ব্ৰাহ্মণ্যবাদী সামন্ততন্ত্ৰৰ ওপৰত ভেজা দি ভাৰতবৰ্ষৰ সমাজ-উত্তৰণৰ ইতিহাসত ঔপনিবেশিক বৃটিছ সামন্তবাদৰ এই হেঁচাই সমাজত যি স্থায়ী অথচ শক্তিশালী শ্ৰেণী চেতনাৰ সৃষ্টি কৰিলে, তাৰ প্ৰভাৱৰ পৰা মৰাণ-মটক-মোৱামৰীয়াসকলেই নহয়, সমাজৰ আন আন গোট বোৰেও মুক্ত হৈ থাকিব পৰা নাই। বিস্তৃত অধ্যয়নৰ বাবে ড° দেৱব্ৰত শৰ্মাৰ গ্ৰন্থ **অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীত অনুস্থানসমূহ**, (যোৰহাট, ২০০৬)-ৰ ২য় অধ্যায়।

সদৌ অসম চুতীয়া সন্মিলনে (পিছত সদৌ চুতীয়া জাতি সন্মিলন, অসম)। সামাজিক স্থান উত্তৰণৰ আশাৰে আৰম্ভ হোৱা চুতীয়াসকলৰ এই আন্দোলন স্বাধীনতাৰ পিছৰ কালছোৱাত ৰাজনৈতিক আন্দোলনলৈ গতি পোনালে আৰু ৰাজনৈতিক সুবিধা আদায়ৰ দাবীত এক দীৰ্ঘদিনীয়া আন্দোলনত পৰিণত হ'ল।[১৫] মন কৰিব লগা দিশটো হ'ল - এই আন্দোলনৰ জৰিয়তে চুতীয়াসকলে বৰ্ণবাদৰ ভিতৰুৱা সামাজিক স্থান উন্নত ৰাখিবলৈ চেষ্টা কৰিও ৰাজনৈতিক ভাবে তেওঁলোকে জনজাতিকৰণৰ দাবী তুলিলে। এই বিষয়ে পৰৱৰ্তী 'চুতীয়াসকলৰ আত্মপৰিচয়ৰ চেতনা' শীৰ্ষক অধ্যায়ত বিস্তৃত আলোচনা কৰা হৈছে। এইদৰে খ্ৰীঃ ১৬শ শতিকাতে ৰাজ্য হেৰুৱাই তাৰ পৰৱৰ্তী দুশ বছৰলৈ আহোমৰ বিৰুদ্ধে বিদ্ৰোহ কৰা চুতীয়াসকলৰ সামৰিক আন্দোলনে ব্ৰিটিছৰ দিনত সুৰ বদলাই স্বাধীনতাৰ পিছত জনজাতিকৰণৰ দাবীৰে সংপৃক্ত এক সাম্প্ৰদায়িক অথচ গণতান্ত্ৰিক আন্দোলনৰ ৰূপ ল'লে।

চুতীয়াসকলৰ এই পৰৱৰ্তী কালৰ আন্দোলন স্বৰূপাৰ্থত বিদ্ৰোহ নাছিল। কিন্তু প্ৰথম পৰ্যায়ত আৰম্ভ কৰা বিদ্ৰোহৰেই আছিল পৰিমাৰ্জিত গণতান্ত্ৰিক ৰূপহে। এইদৰে চুতীয়াসকলৰ মধ্যযুগীয়া বিদ্ৰোহৰ গতি পৰিক্ৰমাৰ যি এখন ছবি দেখা যায়, সেইখন ছবিৰ মাধ্যমেদি বৰ্তমান উত্তৰ-পূব ভাৰতৰ আন বহুতো সাম্প্ৰদায়িক বা জনগোষ্ঠীয় আন্দোলনৰ বুৰঞ্জী আলোচনা কৰিব পাৰি।

১৫ দেৱব্ৰত শৰ্মা, .....।

# সমসাময়িক ৰাজনৈতিক শক্তিসমূহৰ লগত চুতীয়া ৰাজ্যৰ সম্পৰ্ক

ঐতিহাসিক ভাৱে চুতীয়াসকলৰ ৰাজ্যগঠন প্ৰক্ৰিয়া প্ৰাক্-আহোম যুগতে আৰম্ভ হৈছিল। চুতীয়াসকলৰ লগত জড়িত কিংবদন্তি, প্ৰত্নতাত্বিক সমল আৰু আহোম বুৰঞ্জীবোৰে তেওঁলোকৰ ৰাজ্য গঠন প্ৰক্ৰিয়াৰ উমান দিয়ে। তদুপৰি, চুতীয়া ৰজাসকলৰ প্ৰায়বোৰ ৰজাই 'পাল' উপাধি গ্ৰহণ কৰালৈ চাই অনুমান কৰিব পাৰি যে প্ৰাৰম্ভিক কালৰ চুতীয়া ৰজাসকল প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰাচীন কামৰূপীয় ৰাজতন্ত্ৰৰে হয়তো সম্পৰ্কিত আছিল। তদুপৰি, কুণ্ডিল কুঁৱৰী ৰুক্মিণী আৰু ভীষ্মক ৰজাৰ কিংবদন্তিয়েও প্ৰাচীন গঙ্গা উপত্যকাৰ সমাজখনৰ লগত চুতীয়াসকলৰ পৰিচয় থকাটোকে সূচায়। মন কৰিবলগা যে প্ৰাতঃকালীন চুতীয়া ৰজাসকলে ভূমি দানদিয়া ফলিবোৰৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰিলেও সেই ধাৰণাকে গ্ৰহনীয় যেন অনুমান হয়।

চুতীয়া ৰাজ্যৰ ৰাজনৈতিক সম্বন্ধৰ কথা আলোচনা কৰিবলৈ হ'লে চুতীয়া ৰজা ৰত্নধ্বজপালৰ ৰাজ্য গঠন আৰু দিগ্বিজয়ৰ কথাই প্ৰথমে আলোচনা কৰিব লাগিব। কাৰণ এইজনা চুতীয়া ৰজাৰ ৰাজত্ব কালতে খণ্ড খণ্ড হৈ পৰা প্ৰাচীন চুতীয়া ৰাজ্যখন সুসংগঠিত কৰি পুনৰ প্ৰতিষ্ঠা কৰাৰ[১] লগতে সুদূৰ কমতাপুৰ আৰু গৌড় ৰাজ্যলৈকে দিগ্বিজয় কৰি চুতীয়া ৰাজ্যখনক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিছিল।

ৰত্মধ্বজপালে ৰজা হৈ (১২১০-১২৫০ খ্ৰীঃ) প্ৰথমে ৰাঙলগিৰি, কালগিৰি, নীলগিৰি, ধবলগিৰি, চন্দনগিৰি আদি পাহাৰত থকা সকলো চুতীয়াকে বশ কৰি তেওঁৰ সামৰিক শক্তি বৃদ্ধি কৰে।[২] ইয়াৰ পিছতে ৰত্নধ্বজপালে দিগ্বিজয়ৰ যাত্ৰা আৰম্ভ কৰে আৰু দাঁতি কাষৰীয়া শ্বেতগিৰি নামৰ ৰাজ্যখন আক্ৰমণ কৰি ইয়াৰ অধিপতি ভদ্ৰসেন

১ বিস্তৃত বিৱৰণৰ বাবে দ্বিতীয় অধ্যায় চাওক।

২ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৪৪।

ব্ৰঞ্জৰ হাথিয়াৰৰ সহায়ত হাবি-জংঘলবোৰ মুকলি কৰাটো অত্যন্ত কষ্টকৰ আছিল। প্ৰায় ৮০০ খ্ৰীঃপূঃ মানতহে উত্তৰ ভাৰতত লোৰ ব্যৱহাৰ আৰম্ভ হৈছিল[২] আৰু তাৰ কিছুকালৰ পিছতহে উত্তৰ-পূব ভাৰতৰ লোকসকল লোৰ লগত পৰিচিত হৈছিল।

উত্তৰ, দক্ষিণ আৰু পূব - এই তিনিওফালে অসমক পৰ্বতমালাই আগুৰি আছে। অসংখ্য পাহাৰ-পৰ্বত, নদ-নদী, জান-জুৰি আৰু হাবি-বননিয়ে এই ৰাজ্যখনক প্ৰাকৃতিক সৌন্দৰ্যত অতুলনীয় কৰি তুলিছে। আনহাতে, পাহাৰ-পৰ্বতে ঘেৰি থকাৰ উপৰি মৌচুমী বায়ু প্ৰবাহ অঞ্চলত অৱস্থিত বাবেই অসমত অধিক পৰিমাণৰ বৰষুণ হয়। অসমৰ ব্ৰহ্মপুত্ৰ নদৰ দুয়োপাৰৰ উৰ্বৰা সমতলভূমি আৰু কৃষিৰ উপযোগী জলবায়ুৰ বাবেই ইয়াৰ পাৰত প্ৰাচীন কালতে এটা উন্নত সভ্যতা গঢ় লৈ উঠিছিল।

উত্তৰৰ হিমালয় পৰ্বত আৰু দক্ষিণৰ অসম পৰ্বতমালাৰপৰা উৎপত্তি হোৱা অসংখ্য নদ-নদী আহি ব্ৰহ্মপুত্ৰত মিলিছেহি। এই নদ-নদীবোৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা কোনো কেনোটো উপত্যকা অতীতত একো-একোটা সভ্যতাৰ লীলাভূমি হৈ পৰিছিল - যথা, সোৱণশিৰী আৰু দিহিং নদীৰ পাৰত চুতীয়া সভ্যতা আৰু ধনশিৰী আৰু কপিলী নদীৰ পাৰত কছাৰী সভ্যতা গঢ়ি উঠিছিল। বাৰিষা যেতিয়া হিমালয় আৰু অসম পৰ্বতমালাৰপৰা ওলোৱা নদীবোৰ ফেনে-ফোটুকাৰে ওপচি তীব্ৰ বেগেৰে তলৰ সমভূমি অঞ্চললৈ নামি আহে তেতিয়া ভৈয়ামত প্ৰবল বানপানীৰ সৃষ্টি হয় আৰু নদীবোৰেও প্ৰায়েই গতিপথ সলনি কৰে। ইয়াৰ উপৰি প্ৰচণ্ড বানপানীৰ কালছোৱাত হোৱা ভূমিকম্পয়ো মাজে-সময়ে ভৌগোলিক পৰিবেশৰ পৰিৱৰ্তন ঘটায়। চুতীয়াসকলৰ ৰাজত্বকালত মাজুলী নদী-দ্বীপৰ সৃষ্টি হোৱা নাছিল। এই ভূভাগ সেইসময়ত মাজালি নামেৰে জনাজাত আছিল।[৩] ইয়াতে চুতীয়াসকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা ৰত্নধ্বজপালে (আনুঃ ১২১০-১২৫০ খ্ৰীঃ) ৰতনপুৰ নাম দি তেওঁৰ দ্বিতীয়খন ৰাজধানী পাতিছিল। লুইত আৰু দিহিঙৰ এই দোৱাব (Doab) অঞ্চল শস্যৰ ভঁৰাল আছিল। তেতিয়া দিচাং দিহিঙৰ উপনদী আছিল আৰু সোৱণশিৰী নদীৰ প্ৰায় বিপৰীতে দিহিং লুইতত পৰিছিল। ইয়াৰ কিছুকালৰ পিছত দিহিঙে নতুন বাট লয় আৰু দিখৌক উপনদী কৰি লুইতৰ সমান্তৰালভাৱে বৈ গৈ কলিয়াবৰৰ পূবত অৱস্থিত লখৌ বা লাখৌত লুইতৰ লগত লগ লাগিছিল।[৪] দিহিঙৰ পানী বাম হোৱা কাৰণে ১৬৬২ খ্ৰীঃত অসম আক্ৰমণ কৰিবলৈ অহা মোগল

---

[২] Romila Thapar, **A History of India**, vol.i, Auckland 1976, p.33.

[৩] বেণুধৰ শৰ্মাৰ মতে পুৰণি ৰতনপুৰৰ কিছু অংশ ব্ৰহ্মপুত্ৰই পুতি আৰু খহাই পেলোৱাত অৱশিষ্ট ডোখৰ মাজুলী হয় - **বুৰঞ্জীৰ সফুঁৰা**, পৃঃ ১৬৯।

[৪] E. Gait, **A History of Assam**, Guwahati, 1981, p. 133.



সেনাপতি মীৰজুমলাৰ নৌ-বাহিনী দিহিঙেদি আগুৱাব নোৱাৰি লাখৌতে লঙ্গৰ পেলাই ৰ'ব লগা হৈছিল।[৫] ইয়াৰপৰা এইটো স্পষ্ট হয় যে ১৬৬২ খ্ৰীঃৰ আগতে মাজুলী বা মাজালি নদী-দ্বীপৰ সৃষ্টি হোৱা নাছিল। বুৰঞ্জীত এই সম্পৰ্কে কোনো উল্লেখ নাই। বিভিন্ন গৱেষক, বুৰঞ্জীবিদ আৰু প্ৰসিদ্ধ লেখকে এই নদী-দ্বীপৰ উৎপত্তিৰ সময় ভিন্ ভিন্ ভাৱে দিছে। বুৰঞ্জীৰপৰা জনা যায় যে ১৬৯১ খ্ৰীঃ (১৬১৩ শক)ত 'স্বৰ্গদেৱ গদাধৰ সিংহৰ দিনত ৩ দিনৰ অগা পিছাকৈ দুটা পানী হ'ল। হোলোঙ্গৰ বৰজখলাৰ পাঁচ খোপ তল গৈছিল। তাৰ নাম থলে সকা-সাকিনী'।[৬] ইয়াৰ পিছত ১৬৯৬ খ্ৰীঃ (১৬১৮ শক)ত 'ফাগুনৰপৰা শাওণলৈ ছয় মাহ ভূমিকম্প গ'ল। শদিয়াত মাটি ফাটি মাগুৰ, কাৱৈ মাছ ওলাল। পানীও, বালিও ওলাওঁতে ততো পৰ্বতো খসিল।'[৭] অনুমান হয় এই বানপানী আৰু ভূমিকম্পৰ ফলতে মাজুলী নদী-দ্বীপৰ সৃষ্টি হৈছিল।

নদ-নদী আৰু পৰ্বত-পাহাৰৰ প্ৰাচুৰ্যই অসমত সৰু সৰু কিছুমান ৰাজ্য গঠন হোৱাৰ অনুকূল পৰিবেশৰ সৃষ্টি কৰিছিল আৰু সেয়েহে ইয়াৰ কেন্দ্ৰীয় ৰাজনৈতিক সুস্থিৰতা সদায় বৰ্তি থকা নাছিল। কেন্দ্ৰীয় শক্তি দুৰ্বল হ'লেই এই ৰাজ্যবোৰে মূৰ দাঙি উঠিছিল আৰু পৰাক্ৰমী কেন্দ্ৰীয় শক্তি এটাৰ গঠনত বাধা প্ৰদান কৰিছিল। সমগোত্ৰীয় হ'লেও নিজ নিজ এলেকাত সৰু সৰু জনগোষ্ঠীবোৰে নিজস্ব কিছুমান বৈশিষ্ট্য বজাই ৰাখিছিল আৰু বৃহৎ জাতি এটা গঠন কৰাৰ প্ৰক্ৰিয়াৰপৰা সচৰাচৰ আঁতৰি আছিল। ব্ৰাহ্মণ পুৰোহিত শ্ৰেণীয়ে চলোৱা আৰ্যীকৰণ প্ৰক্ৰিয়াই তেওঁলোকক তেনেকৈ স্পৰ্শ কৰা নাছিল। পৰৱৰ্তী কালত নৱবৈষ্ণৱ বা ভক্তিধৰ্মৰ জৰিয়তেহে তেওঁলোকে এখন বহল আৰ্যীকৃত সমাজত প্ৰৱেশ কৰিছিল।

অসম পৰ্বতমালা নামে জনাজাত পাহাৰলানিয়ে পশ্চিমৰপৰা পূবলৈ অসমক ব্ৰহ্মপুত্ৰ আৰু বৰাক বা সুৰমা নামৰ দুটা উপত্যকাত ভাগ কৰিছে। বৰাক উপত্যকাতো প্ৰাচীন কালতে আৰ্য প্ৰভাৱান্বিত এটা সভ্যতা গঢ়ি উঠিছিল। প্ৰকৃতাৰ্থত এই সভ্যতা প্ৰাচীন প্ৰাগজ্যোতিষ-কামৰূপত গঢ় লোৱা সভ্যতাৰে সম্প্ৰসাৰণ বুলি ক'ব পাৰি।

প্ৰাকৃতিক পৰিবেশৰ লগত অসমৰ মঠ-মন্দিৰবিলাকৰো সম্পৰ্ক আছে। প্ৰথম অৱস্থাত মঠ-মন্দিৰবিলাক ইটা আৰু শিলেৰে নিৰ্মাণ কৰা হৈছিল আৰু পিছলৈ শিলৰ বুকুত শিল্পীয়ে দেৱ-দেৱী, মানুহ, চৰাই, ফুল আদিৰ ছবি খোদিত কৰিছিল। কিন্তু এই সকলোবোৰ শিলা একে প্ৰকৃতিৰ নাছিল। যিবিলাক ভাস্কৰ্য টান শিলত কটা হৈছিল

---

[৫] *ibid.*, p. 134.

[৬] **তুংখুঙ্গীয়া বুৰঞ্জী**, সম্পাদিত সূৰ্য্য কুমাৰ ভূঞা, গুৱাহাটী, ১৯৩২, পৃঃ ২৫।

[৭] **তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ ২৮; **অসম বুৰঞ্জী**, সম্পাদিত শৰৎ কুমাৰ দত্ত, গুৱাহাটী, ১৯৩৮, পৃঃ ৬০।
১৮৫৪ চনত মাজুলীৰ আয়তন আছিল ২,৮২,১৬৫ একৰ - A. J. Moffat Mills, **Report on the Province of Assam, 1854**, New Delhi, 1979, p. 131।

নামৰ ৰজাজনক পৰাস্ত কৰে আৰু ৰাজ্যখন নিজৰ অধীনলৈ আনে।[৩] স্বেতগিৰি ৰাজ্যখনৰ প্ৰকৃত অৱস্থান সম্পৰ্কে বিশেষ জনা নাযায়; কিন্তু ইয়াৰ ৰজাজনৰ নামৰ পৰা অনুমান কৰিব পাৰি যে, সেইখন এখন সমভূমি অঞ্চলৰে ৰাজ্য আছিল আৰু ই এখন চুতীয়া ৰাজ্যৰ চুবুৰীয়া ৰাজ্যই আছিল। জনশ্ৰুতিমতে, বৰ্তমান মাজুলীৰ অন্তৰ্গত ৰতনপুৰেই ৰত্নধ্বজপালৰ এই নতুন ৰাজধানী আছিল। এনে অনুমানৰ সমৰ্থনত উল্লেখ কৰিব পাৰি যে মাজুলীৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত ৰতনপুৰ নামৰ ঠাইখন চুতীয়া অধ্যুষিত লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা অঞ্চলৰ লগত সংযুক্ত, আৰু ইয়াত এতিয়াও চুতীয়া ৰজাই খন্দোৱা বহুতো পুখুৰী আৰু বান্ধি থৈ যোৱা ভেটি দেখিবলৈ পোৱা যায়। ঢকুৱাখনা আৰু সীমামূৰীয়া ধেমাজি জিলাৰ দক্ষিণাঞ্চলতো এনে বহুতো ধ্বংসাৱশেষ দেখা পোৱা যায়। ধ্বংসাৱশেষবোৰৰ ভিতৰত পুৰণি কালৰ মন্দিৰ আৰু মূৰ্তি একোটাৰ অৱশেষো আৱিস্কাৰ হোৱাটোৱে চুতীয়া ৰাজ্যখনৰ ভিতৰত ব্ৰাহ্মণ্য হিন্দু ধৰ্মৰ প্ৰভাৱৰ দিশলৈ ইঙ্গিত দিয়ে। মাজুলীত ৰত্নপুৰ বা ৰতনপুৰত এখন ৰাজধানী প্ৰতিষ্ঠাতা হিচাপে এতিয়াও তাত ৰত্নধ্বজপাল ৰজাৰ নাম কিংবদন্তিত ধৰি ৰখা হৈছে।[৪]

ৰত্নধ্বজপালে শ্বেতগিৰি আক্ৰমণ কৰাৰ সময়ত সম্ভৱতঃ মাও-শান ৰজাৰ নিৰ্দেশত চাও-কা-ফাই প্ৰাচীন চুতীয়া ৰাজ্যখন আনুমানিক ১২২০ খ্ৰীঃত আক্ৰমণ কৰে। উল্লেখযোগ্য যে, ৰত্নধ্বজপালে ভদ্ৰসেনৰ ৰাজ্য জয় কৰাৰ পিছত তেওঁৰ ৰাজ্যৰ দক্ষিণ সীমা প্ৰাচীন চুতীয়া ৰাজ্যখনলৈকে বিস্তৃত হৈ পৰে।[৫] অৱশ্যে চাও-কা-ফাই প্ৰাচীন চুতীয়া ৰাজ্যখন অধিকাৰ কৰি পূৰ্বৰ দৰে কোনো শাসন কৰ্তা নিয়োগ নকৰি স্বদেশলৈ উভতি গৈছিল। ইয়াৰ অন্তৰালত সম্ভৱতঃ চাও-কা-ফাই ৰত্নধ্বজপালৰ বৰ্দ্ধিত শক্তিৰ উমান পাইছিল আৰু সেইবাবেই প্ৰাচীন চুতীয়া ৰাজ্যখন শাসন নকৰি বা কোনো শাসন কৰ্তা নিয়োগ নকৰি স্বদেশলৈহে উভতি গৈছিল। এই সুযোগতে ৰত্নধ্বজপালে প্ৰাচীন চুতীয়া ৰাজ্যখন বিনাযুদ্ধে নিজৰ অধীনলৈ আনে আৰু ইয়াৰ লগে লগে চুতীয়া ৰাজ্যৰ সীমা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌ নদী আৰু উত্তৰ পাৰে দিক্ৰং নদীৰ পূব ভাগৰ উজনি অসমখণ্ড চুতীয়া ৰাজ্যৰ সীমা হৈ পৰে।

ৰত্নধ্বজপালৰ দ্বিগ্বিজয়ৰ অংশ হিচাবে ভূএগাসকলৰ ৰাজ্যও আক্ৰমণ কৰি ভূএগা ৰাজ্যৰ একাংশ নিজৰ অধীনলৈ আনিছিল।[৬] তেওঁ ন্যায়পাল নামৰ আন এজন ৰজাকো পৰাজিত কৰিছিল আৰু তেওঁৰ লগত স্থায়ী সম্পৰ্ক ৰক্ষাৰ্থে তেওঁৰ জীয়েকক বিয়া

৩ **Ahom Tribal Relation**, p. 60.
৪ ড° ডম্বৰুধৰ নাথৰ 'মাজুলী ঃ এটি ঐতিহাসিক পৰিচয়, শীৰ্ষক প্ৰবন্ধ, **মাজুলী**, সম্পদনা কনকচন্দ্ৰ কলিতা, কলকতা, ২০০১, পৃঃ ৯-১০; Gait ৰ **A History of Assam**, p. 41.
৫ বিস্তৃত বিৱৰণৰ বাবে দ্বিতীয় অধ্যায় চাওক।
৬ **নকুল চন্দ্ৰ ভূএগাৰ ৰচনা সংকলন,** সম্পাদনা যতীন্দ্ৰনাথ গোস্বামী, গুৱাহাটী, ১৯৯৬, পৃঃ ৫১২।



কৰাইছিল।[৭] 'পাল' উপাধি গ্ৰহণ কৰাৰ পৰা অনুমান কৰিব পাৰি যে, ন্যায়পাল আছিল আগৰ প্ৰাচীন কামৰূপীয় পালবংশৰ ৰজাসকলৰে এজন বংশধৰ বা তেওঁলোকৰ অনুকৰণত ৰাজনৈতিক শক্তি লাভ কৰা এক স্থানীয় জনগোষ্ঠীয় নেতা। সেয়ে হ'লে তেওঁৰ ৰাজ্যখন যতদূৰ সম্ভৱ ব্ৰহ্মপুত্ৰৰ উত্তৰে চুতীয়া ৰাজ্যৰ পশ্চিম সীমাত, বৰ্তমান বিশ্বনাথৰ আশে-পাশেই আছিল। ইয়াৰ উপৰিও ৰত্নধ্বজপালে কমতাপুৰৰ ৰজাৰ লগতো মিত্ৰতা কৰি তেওঁৰ জীয়েক এগৰাকীক পুত্ৰ বিজয়ধ্বজলৈ বিয়া কৰাইছিল।[৮] ইয়াৰ ফলত দুয়োখন ৰাজ্যৰ মাজত সামাজিক সম্পৰ্ক ঘটিছিল। অৱশ্যে চুতীয়া ৰাজবংশৰ লগত ইয়াৰ পূৰ্বেও কামৰূপৰ পালবংশীয় ৰজাসকলৰ সামাজিক সম্পৰ্ক হোৱাৰ কথা উল্লেখ পোৱা যায়। কামৰূপৰ পালবংশীয় ৰজা ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰফলিত উল্লেখ আছে যে, পুৰন্দৰপালে আনুমানিক ১০৪০ খ্ৰীঃত পৰশুৰামে জয় কৰা ৰাজ্যখনৰ ৰাজকন্যা দুৰ্লভাক বিয়া কৰাইছিল। সম্ভৱতঃ পৰশুৰামে জয় কৰা ৰাজ্যখন প্ৰাচীন চুতীয়া ৰাজ্যই আছিল। মন কৰিব লগীয়া যে, আহোমসকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহাৰ পূৰ্বেই পুৰণি কামৰূপ ৰাজ্যখনৰ পতন ঘটিছিল আৰু তাৰ ঠাইত ঠায়ে ঠায়ে গঢ়ি উঠিছিল বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ভূএগা বা সামন্ত ৰাজ্য। আনহাতে সুদূৰ পশ্চিমলৈ গঢ়ি উঠিছিল কমতা নামে এখন নতুন ৰাজ্য। ৰত্নধ্বজপালে এইখন কমতা ৰাজ্যৰ লগতে মিত্ৰতাৰ সম্বন্ধ স্থাপন কৰিছিল। বুৰঞ্জীত উল্লেখ আছে যে, চুতীয়া ৰজা ৰত্নধ্বজপালে কমতা ৰজাৰ উপৰিও সুদূৰ গৌড়দেশৰ লগত মিত্ৰতা মূলক সম্বন্ধ ৰাখিছিল আৰু তেওঁৰ পুত্ৰক গৌড় দেশত উচ্চ শিক্ষা লাভৰ বাবে পঠাইছিল।[৯] গৌড় ৰাজ্যৰ কোনগৰাকী ৰজাৰ লগত ৰত্নধ্বজপালৰ সম্পৰ্ক ঘটিছিল তাক স্পষ্টকৈ জনা নাযায়। বুৰঞ্জীত তেওঁক 'পাট্‌শা' বুলি উল্লেখ কৰা হৈছে[১০] যদিও তেওঁলোকৰ মাজত পৰৱৰ্তী পৰ্যায়ত হোৱা সম্প্ৰীতিৰ বান্ধোনৰ চৰ্তবোৰে প্ৰমাণ কৰে যে, তেওঁ পাট্‌শা বা চুলতান নহয়। বঙ্গ দেশৰ পূব ভাগত থকা স্বাধীনভাৱে শাসন কৰা খেন বংশী কোনো স্বাধীন হিন্দু ৰজা হে আছিল। সি যি কি নহওক, গৌড়ৰাজৰ তত্ত্বাৱধানত থাকি শিক্ষা লাভ কৰিবলৈ পুত্ৰক পঠোৱা কাৰ্যই দুই পক্ষৰ মাজৰ সাংস্কৃতিক মিলৰ কথাকেই সূচায়। হিন্দু ধৰ্মত দীক্ষিত চুতীয়া ৰাজপৰিয়ালক কেন্দ্ৰ কৰি গঢ়ি উঠা হিন্দু-চুতীয়াসকলৰ বাবে ম্লেচ্ছ ভূমি অসমৰ বাহিৰৰ সাংস্কৃতিবান ৰাজপৰিয়ালৰ লগত 'সন্মানজনক' সম্পৰ্কৰ দ্বাৰা নিজৰ সামাজিক স্থানৰ উত্তৰণ ঘটোৱাটো বোধহয় এই সম্পৰ্কৰ মূল উদ্দেশ্য আছিল। 'নাৰায়ণ' আৰু 'ধ্বজপাল' উপাধিৰে বিভূষিত হৈ নিজক শ্ৰেষ্ঠ হিন্দু হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যোৱা চুতীয়া ৰজাসকলৰ ব্ৰাহ্মণ্য ব্যৱস্থায়ো নিশ্চয়

৭ **দেওধাই অসম বুৰঞ্জী**, ১৯৪-১৯৫ পৃষ্ঠা; আৰু L. Devi ৰপূৰ্বোক্ত গ্ৰন্থৰ 60 পৃষ্ঠাৰ দ্ৰষ্টব্য।
৮ গেইট, পৃঃ ৪১।
৯ **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট চুটিয়াৰ কথা, পৃঃ ১৯৬।
১০ ঐ।

তাকে সূচায়। তদুপৰি, গৌড়েশ্বৰৰ লগত মিত্ৰতাকৰণৰ চুক্তি অনুযায়ী চুতীয়াৰজালৈ দৈনিক সাতঘটি গঙ্গাজল দি পঠোৱাৰ প্ৰতিশ্ৰুতি দিছিল, আৰু তাৰ বিনিময়ত চুতীয়া ৰজায়ো তেওঁলৈ পৰশুকুণ্ডৰ জল দি পঠাবলৈ গাত লৈছিল।[১১] এনেদৰে আহোমসকলৰ আগমনৰ বহুপূৰ্বেই প্ৰাচীন কামৰূপীয় ৰজাসকলৰ আৰ্হিত হিন্দু ব্ৰাহ্মণ্য আচাৰ-নীতিৰ সাধক আৰু পৃষ্ঠপোষকহৈ হিন্দু-চুতীয়া সম্ভ্ৰান্তসকল এহাতে যেনেকৈ সাধাৰণ শ্ৰেণীৰ চুতীয়াসকলক জনজাতীয় স্তৰত এৰি আহিছিল, ঠিক তেনেকৈ তেতিয়াও হিন্দু-ব্ৰাহ্মণ্যবাদৰ প্ৰৱেশ নকৰা আহোমসকলৰ লগতো তেওঁলোকে বিশেষ সম্পৰ্ক স্থাপনত আগ্ৰহী নাছিল। বোধহয় সেই কাৰণেই চুহুংমুং ওৰফে দিহিঙীয়া ৰজাৰ দিনত আহোম ৰাষ্ট্ৰখনৰ ফালৰ পৰা সঁহাৰি নোপোৱালৈকে চুতীয়াসকল সেইফালে আচুতীয়া হৈয়ে আছিল।

ৰত্নধ্বজপালে এইসমূহ ৰাজ্যৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ লগতে দাঁতি-কাষৰীয়া পাহাৰীয়া জনজাতিসকলৰ লগতো সম্ভৱতঃ বন্ধুত্বপূৰ্ণ সম্পৰ্কই ৰাখিছিল। ৰত্নধ্বজপালে তেওঁৰ বিচক্ষণ বৈদেশিক নীতিৰে এসময়ত ঠান-বান হৈ যোৱা প্ৰাচীন চুতীয়া ৰাজ্যখন পুনৰ সংগঠিত কৰি শক্তিশালী ৰূপত গঢ়ি তুলিছিল আৰু এইজন ৰজাই গঢ়ি থৈ যোৱা চুতীয়া ৰাজ্যখনৰ সুদৃঢ় ভেটি তেওঁৰ উত্তৰাধিকাৰীসকলৰ দিনত অধিক সমৃদ্ধিশালী হৈ পৰিছিল। অৱশ্যে তেওঁৰ উত্তৰাধিকাৰীসকলে ১৫ শতিকালৈকে আন ৰাজ্যৰ লগত সংঘৰ্ষত লিপ্ত হোৱা আৰু ৰাজ্য বিস্তাৰ কৰাৰ কথা বুৰঞ্জীত উল্লেখ পোৱা নাযায়।

যোল্ল শতিকাৰ আগভাগত যিখন ৰাজ্যৰ লগত চুতীয়া ৰজাসকলৰ প্ৰত্যক্ষ সম্পৰ্ক ঘটিছিল; আৰু যিখন ৰাজ্যই অৱশেষত চুতীয়া ৰাজ্যখনকে নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে সেইখন হ'ল আহোম ৰাজ্য। চুতীয়া ৰাজ্যখনৰ কাষৰীয়া অঞ্চলতে আহোম ৰাজ্যখনো গঢ়ি উঠাত আৰু বিশেষকৈ কেইবাশ বছৰো ধৰি দুয়োখন ৰাজ্য সমান্তৰালভাৱে তিষ্ঠি থকাত চুতীয়া আৰু আহোম ৰাজ্যৰ মাজত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক ঘটিবলৈ আৰম্ভ কৰাটো স্বাভাৱিক। গোষ্ঠীগত মূলৰ ফালৰ পৰাও অনাৰ্যমূলীয় হোৱাত দুয়োটা জনগোষ্ঠীৰ মাজত সামাজিক সম্পৰ্ক ঘটাটো সহজ আছিল। তদুপৰি, অৰ্থনৈতিকভাৱেও চুতীয়া আৰু আহোমসকল পাৰস্পৰিক সম্পৰ্কৰ জৰিয়তে উপকৃত হৈছিল।

আহোম-চুতীয়াৰ ৰাজনৈতিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে দুইখন ৰাজ্যৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে উল্লেখ কৰাটো আৱশ্যক হৈ পৰে, যদিও এই বিষয়ে পূৰ্বৰ অধ্যায়ত[১২] আলোচনা কৰি অহা হৈছে। তথাপি, আলোচনাৰ সুবিধাৰ

[১১] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৬।

[১২] প্ৰথম অধ্যায়ৰ দ্ৰষ্টব্য।



অৰ্থে পুনৰাবৃত্তি কৰাটো ভাল হ'ব যে খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ মাজভাগত চুকাফাৰ নেতৃত্বত আহোম ৰাজ্যখন স্থাপন হ'বৰ সময়ত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক ক্ষমতা লাভ কৰা প্ৰধান জনগোষ্ঠীসমূহৰ ভিতৰত চুতীয়াসকল আছিল অন্যতম।[১৩] দিহিং নদীৰ পূবলৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে আৰু দিক্ৰং নদীৰ পূবলৈ উত্তৰপাৰে এই বিস্তীৰ্ণ অঞ্চলত চুতীয়াসকলৰ ৰাজ্য আছিল। স্বাভাৱিকতে আহোম, চুতীয়া, বৰাহী-মৰাণ আৰু কছাৰীসকল প্ৰত্যেকে সীমামূৰীয়া প্ৰতিবেশী বা অনিৰ্দিষ্ট সীমাৰেখা একোটাৰে পৃথক কৰি ৰখা জনগোষ্ঠী আছিল। অৱশ্যে, চুতীয়া আৰু আহোম ৰাজ্যৰ সীমা আছিল কিছু স্পষ্ট; কাৰণ, দিহিং নদী আছিল তেওঁলোকৰ দুই ৰাজ্যৰ সীমা। উল্লেখিত জনগোষ্ঠীসকলৰ ভিতৰত মৰাণ-বৰাহীসকল আছিল ৰাজনৈতিক সংগঠনৰ প্ৰাথমিক পৰ্যায়ত আৰু চুতীয়া আৰু কছাৰীসকল আছিল দ্বিতীয় বা উচ্চ পৰ্যায়ত।

আহোম আৰু চুতীয়াসকলৰ ৰাজনৈতিক সম্পৰ্কৰ কথা আলোচনা কৰিবলৈ যাওঁতে আৰু এটা দিশলৈ মন কৰিব লগা আছে। সেইটো হ'ল, ১২৫৩ খ্ৰীঃত চৰাইদেউক কেন্দ্ৰ কৰি আহোম ৰাজ্যখন গঠন হোৱাৰ পিছত পৰৱৰ্তী কিছু শতিকালৈ এইখন ৰাজ্যৰ বিশেষ সম্প্ৰসাৰণ হৈছিল বুলি ক'ব নোৱাৰি, কাৰণ ১৫২৩-২৪ খ্ৰীঃলৈকে আহোম ৰাজ্যখনৰ ভৌগোলিক সীমা কেৱল দিহিং আৰু দিখৌ নদীৰ মাজেত সীমাবদ্ধ আছিল। এই সময়ছোৱাত মৰাণ-বৰাহী আৰু কিছু ক্ষেত্ৰত কছাৰী আৰু নগাসকলক আহোমে ৰাজনৈতিক আয়ত্বলৈ আনি শক্তিশালী স্থিতিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত দাঁতি-কাষৰীয়া অন্যতম শক্তিশালী ৰাজ্য চুতীয়াসকলৰ লগতো আহোমৰ তেনে এটা সম্পৰ্ক গঢ়ি উঠাটো অৱশ্যকীয় হৈ পৰিছিল।

বুৰঞ্জীৰ তথ্য মতে, খ্ৰীঃ ১৪ শতিকাৰ শেষৰ ফালে আহোম স্বৰ্গদেৱ চুতুফাই (১৩৬৪-১৩৭৬) প্ৰথমে চুতীয়াৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক এটা গঢ়ি তুলিবলৈ চেষ্টা চলাইছিল।[১৪] বুৰঞ্জীসমূহত অৱশ্যে কোনজন চুতীয়া ৰজাৰ লগত তেওঁ বন্ধুত্ব কৰিছিল, তেওঁৰ নাম উল্লেখ কৰা হোৱা নাই।[১৫] সম্ভৱতঃ এইজন চুতীয়া ৰজা নন্দীশ্বৰ বা নন্দীনৃপই হ'ব, কাৰণ এইজনা চুতীয়া ৰজাৰ আনুমানিক ৰাজত্বকাল ১৩৬০-১৩৭৮ খ্ৰীঃ। আনহাতে চুতুফা ৰজাই কি কাৰণে বন্ধুত্ব স্থাপন কৰিবলৈ বিচাৰিছিল তাকো জনা নাযায়। ডঃ লক্ষ্মী দেৱীয়ে অনুমান কৰিছে যে, সেই সময়ত আহোম ৰাজ্যখনৰ বৰ্দ্ধিত শক্তিৰ উমান পাই চুতীয়া ৰজাই আহোমৰাজে আগবঢ়োৱা বন্ধুত্বৰ প্ৰতি আদৰণি জনাইছিল।[১৬] সেয়ে যদি

[১৩] Gait, **A History of Assam**, p. 40-42; S.L. Baruah, **A Comprehensive History of Assam**, Delhi, 1985, p.182-183.

[১৪] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১১।

[১৫] L. Devi,ৰ **Ahom Tribal Relation**, Guwahati, 1986, p. 61.

[১৬] *ibid.*

হয়, তেনেহ'লে আহোমৰাজে বন্ধুত্বৰ প্ৰস্তাৱ আগ নবঢ়াই চুতীয়া ৰাজ্যখন আক্ৰমণেই কৰিব পাৰিলহেঁতেন। অৰ্থাৎ, চুতীয়া ৰাজ্যৰ বৰ্দ্ধিত শক্তিৰ প্ৰতি শংকিত হোৱা বাবেহে আহোমৰাজ চুতুফাই এনে প্ৰস্তাৱ আগবঢ়াইছিল যেন লাগে।

সি যি কি নহওক, ৰত্নধ্বজপালৰ পৰৱৰ্তী কালত আহোম চুতীয়া ৰাজ্যৰ মাজত সুসম্পৰ্ক গঢ়ি উঠাৰ এক প্ৰয়াস আৰম্ভ হয়। বুৰঞ্জীত আছে যে, ৰত্নধ্বজপালৰ উত্তৰাধিকাৰী কোনো এজন চুতীয়া ৰজাই আহোমৰাজ চুতুফাৰ ৰাজধানীলৈ যায় আৰু তেওঁক বন্ধুত্ব গঢ়াৰ চিন স্বৰূপে নাওখেলত ভাগ ল'বলৈ নিমন্ত্ৰণ কৰি আহে।[১৭] অৱশ্যে তেওঁ আহোমৰাজ চুতুফাক চক্ৰাই নদীত (দিহিঙৰ এখন উপনদী) নাওখেলৰ প্ৰতিযোগিতা এখন উপভোগ কৰিবলৈহে নিমন্ত্ৰণ কৰি নিছিল। সেই নিমন্ত্ৰণ ক্ৰমে, আহোম ৰাজ চুতুফায়ো নাও খেলত ভাগ ল'বলৈ যায়, কিন্তু নাওখেলতে তেওঁৰ মৃত্যু হয়। উল্লেখ আছে যে, চুতীয়া ৰজাই চুতুফাক কৌশল কৰি হত্যা কৰিছিল।[১৮] আন এঠাইত সেই একেটা ঘটনাকে আন এক ৰূপত উল্লেখ কৰা আছে। এইমতে কোৱা হৈছে যে, চুতীয়া ৰজাই কৌশল কৰি মতাই নি আহোম স্বৰ্গদেৱ চুতাওফা বা চুতুফাক বলধেৰে (ভতৰা গৰু) গৰকাই মাৰিলে।[১৯] উল্লেখ কৰা ঘটনা দুটাৰ কোনটো শুদ্ধ আছিল কোৱা টান; কিন্তু আহোম ৰজাজনক যে চুতীয়া ৰজাই চক্ৰান্ত কৰি হত্যা কৰিছিল সেইটো বোধহয় সঁচা। উল্লেখযোগ্য যে চুতুফা ৰজাৰ হত্যাৰ পিছত আহোম ৰাজসভাত নিশ্চয় গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া হৈছিল, কিন্তু কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল তাক জনাৰ উপায় নাই। বুৰঞ্জীবিলাকত চুতুফাৰ উত্তৰাধিকাৰী ত্যাওখাম্‌থিৰ ৰাজত্বকালত চুতীয়া ৰজাৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে আয়োজন কৰা কোনো যুঁজ-বাগৰৰ উল্লেখ পোৱা নাযায়। অৱশ্যে কাশীনাথ তামুলী ফুকন আৰু হৰকান্ত বৰুৱা সদৰামিনে ত্যাওখাম্‌থি ৰজাই চুতীয়া ৰাজ্য আক্ৰমণ কৰাৰ কথা কৈছে।[২০] কিন্তু পুৰণিকলীয়া বুৰঞ্জীবোৰত এনে ঘটনাৰ উল্লেখ নাই। য'তদূৰ সম্ভৱ, চুতীয়া ৰাজ্য আক্ৰমণ কৰিব পৰাকৈ তেতিয়াও আহোম ৰাজ্যখন শক্তিশালী হৈ উঠা নাছিল; আৰু সেয়ে তেনে এক সিদ্ধান্তও আহোম ৰজাই গ্ৰহণ কৰিব পৰা নাছিল। উল্লেখনীয় যে, তামুলীফুকন আৰু সদৰামিনৰ বুৰঞ্জীত চুতীয়া ৰজা হাৰি পলাই যোৱা বুলি উল্লেখ থাকিলেও আহোম ৰজাই তেওঁক অনুসৰণ কৰি খেদি নগৈ কেৱল উভতি ঘূৰি অহা বুলিহে পোৱা হৈছে।[২১] মন কৰিবলগা এয়ে যে, পলায়ন কৰা চুতীয়া ৰজাৰ ৰাজ্য অধিকাৰ কৰা বা তেওঁক ধৰি বশ্যতা স্বীকাৰ কৰোৱা বা অপমানজনক

[১৭] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৫; L. Devi, p. 60.

[১৮] **Ahom Buranji**, p. 49; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০; কাশীনাথ তামুলীফুকন, **অসম বুৰঞ্জী সাৰ**, পৃঃ ১২।

[১৯] **দেওধাই অসম বুৰঞ্জী**, ১০৪ পৃষ্ঠা।

[২০] কাশীনাথ তামুলীফুকন, পৃঃ১২; হৰকান্ত বৰুৱা সদৰামিণ, **অসম বুৰঞ্জী**, ২য় মুদ্ৰণ, গুৱাহাটী, ১৯৪২, পৃঃ ১৬।

[২১] ঐ।



এক সন্ধি কৰি ধন-সোণেৰে ক্ষতিপূৰণ দিবলৈ দাবী কৰা আদি কোনো কথাৰো বুৰঞ্জীবোৰত উল্লেখ কৰা নহ'ল।[২২] অনুমান হয়, আহোম ৰাজ্যখনে তেতিয়াও নিজৰ সামৰিক আৰু ৰাজনৈতিক ক্ষমতা বৰ্দ্ধনতহে ব্যস্ত হৈ আছিল। সেয়ে সেইছোৱা কালত ৰাজনৈতিক কাৰণতেই কোনো উল্লেখনীয় সংঘৰ্ষৰ হাত সাৰি থাকিবলৈ আহোম ৰাজশক্তিয়ে চেষ্টা কৰিছিল।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে আহোম স্বৰ্গদেৱ চুহুংমুং ওৰফে দিহিঙ্গীয়া ৰজা আৰু চুতীয়া ৰজা ধীৰনাৰায়ণৰ কালছোৱা দুটা বিশিষ্ট কাৰণত মন কৰিবলগীয়া আছিল। সেই সময়ত আহোম ৰাজ্যখনৰ সম্প্ৰসাৰণৰ বিপৰীতে চুতীয়া ৰাজ্যখনৰ অৱনতিৰ প্ৰক্ৰিয়া এটা আৰম্ভ হৈছিল। বুৰঞ্জীত উল্লেখ আছে যে, চুতীয়া ৰজা ধীৰনাৰায়ণৰ কোনো পুত্ৰ সন্তান নাছিল। বুঢ়াকালতহে তেওঁৰ এটি পুত্ৰ সন্তান জন্ম হয়। এই পুত্ৰ সন্তানটিৰ নাম সাধকনাৰায়ণ ৰাখে। সাধকনাৰায়ণ নাবালক হৈ থকাত সেই সময়ত ৰজাই তেওঁৰ উত্তৰাধিকাৰী হিচাপে একমাত্ৰ জোঁৱায়েক অৰ্থাৎ জীয়েক সাধনীৰ স্বামী নিতাইক মনোনীত কৰি গৈছিল।[২৩] নিতাই আছিল সাধাৰণ চুতীয়া পৰিয়ালৰ লোক। সিংহাসন লাভ কৰাৰ পূৰ্বে তেওঁৰ ৰাজ্য আৰু ৰাজনীতিৰ জ্ঞান আহৰণৰ কোনো সুবিধা নাছিল, আৰু নাছিল প্ৰশাসনৰ অভিজ্ঞতা।[২৪] স্বাভাৱিকতে পুৰুষানুক্ৰমে পৰিয়াল কেন্দ্ৰীকভাৱে সিংহাসন লাভ কৰা প্ৰথাত নিতাইৰ সিংহাসন অধিকাৰে কুঠাৰাঘাট হানিছিল আৰু এনে কাৰ্যই ৰাজ-পৰিয়ালৰ সদস্যসকলক অসন্তুষ্ট কৰিছিল। নিতাইৰ সিংহাসন লাভে সম্ভ্ৰান্ত পৰিয়ালৰ চুতীয়াসকলকো ক্ষুণ্ণ কৰিছিল, আৰু তেওঁলোকেও সাধাৰণ পৰিয়ালৰ যুৱকৰ ওচৰত অৱনমিত হৈ ৰ'বলৈ ইতস্ততঃ কৰিছিল।[২৫] বোধহয় আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষতি হৈছিল চুতীয়া ৰাজতন্ত্ৰৰ নায্যতাত (legitimacy)। দেৱবাদত বিশ্বাসী নব্য-ব্ৰাহ্মণ্যবাদী জনগোষ্ঠীসমূহৰ ৰাজতন্ত্ৰৰ প্ৰধান শক্তি নিহিত থাকে দেৱবাদৰ বিশ্বাসত।[২৬] দেৱ-দেৱতাৰ বংশধৰ বুলি পৰিচয় লাভ কৰাৰ পিছত একোজন অকৰ্মণ্য ৰাজসন্তানো লোকচক্ষুত পৰম পূজনীয় হৈ পৰে আৰু সক্ষম বীৰ পুৰুষ এজনো ৰাজবংশীয় নহ'লে দেৱতাৰ সন্তান হ'ব নোৱাৰাৰ অজুহাতত লোক সমাজত ন্যাৰ্যতা আৰু প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। মধ্যযুগীয় এই ধাৰণাৰ বশৱৰ্তী চুতীয়া সম্ভ্ৰান্ত সমাজৰ বাবে সেয়ে নিতায়ে নীতিপাল বা চন্দ্ৰনাৰায়ণ নাম লাভ কৰিলেও দেৱতাৰ সন্তানৰ স্বত্ব দাবী কৰিব নোৱাৰিলে। ফলত ৰাজ্যখনৰ আভ্যন্তৰীণ উশৃংখলতা আৰম্ভ হৈছিল আৰু

[২২] ঐ।

[২৩] **দেওধাই অসম বুৰঞ্জীত** সন্নিৱিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৭, ১৯৯।

[২৪] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৫; Gait, **A History of Assam**, p. 41.

[২৫] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট, 'চুটিয়াৰ কথা', পৃঃ ১৯৮-১৯৯।

[২৬] Henri J.M. Classen and Peter Skalnik (ed), **The Early State** (The Hague), 1978, p. 62.

ৰাজ্যৰ আন্তঃগাঠনি দুৰ্বল হৈ পৰিছিল।

ইতিমধ্যে হিন্দু ধৰ্ম গ্ৰহণ কৰি চুতীয়া সম্ভ্ৰান্তসকল সৰ্বতোপ্ৰকাৰে গোড়া ব্ৰাহ্মণ্যবাদী হৈ পৰিছিল - অন্ততঃ বৰ্হিঃপ্ৰকাশত। উল্লেখনীয় যে নিতাই সাধাৰণ ঘৰৰ ল'ৰা হোৱা বাবে তেওঁক প্ৰায়চিত্ত কৰাইহে চুতীয়া ৰজাই কন্যা বিবাহ দিছিল।[২৭] ইয়াৰ উপৰিও আহোম ৰাজ্যৰ লগত আৰম্ভ হোৱা যুদ্ধৰ পৰিস্থিতিয়েও চুতীয়া ৰাজ্যত আন এটা ভয়াবহ পৰিবেশৰ সৃষ্টি কৰিছিল। মুঠৰ ওপৰত নীতিপালৰ ৰাজত্বকাল আছিল চুতীয়া ৰাজ্যৰ বাবে এক অতি সংকটময় কাল। আৰু ইয়াৰ বিপৰীতে সকলো প্ৰকাৰৰ সম্প্ৰসাৰণেৰে আহোম ৰাজ্যখনৰ বাবে উদয় হৈছিল এক বিকাশৰ যুগ। গতিকে, ঐতিহাসিক কাৰণতে, সেই সময়ৰ আহোম-চুতীয়াৰ সংঘৰ্ষ আছিল অনিবাৰ্য।

ইতিমধ্যে চুতীয়া ৰজা ধীৰনাৰায়ণৰ ৰাজত্ব কালত হাবুঙৰ পাণবাৰী আহোমে অধিকাৰ কৰি লৈছিল।[২৮] পাণবাৰী অধিকাৰ কৰা কথটো চুতীয়া ৰজাই সহজভাৱে গ্ৰহণ কৰিছিল বুলি ক'ব নোৱাৰি। আহোমৰ ৰাজ্যখন আক্ৰমণ কৰি ইয়াৰ পোতক তুলিবলৈ চুতীয়া ৰজা ধীৰনাৰায়ণে সুযোগৰ অপেক্ষাতহে আছিল। যাৰ ফলশ্ৰুতিত ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ সৃষ্টি হোৱাৰ দৰে সামান্য কথাতে দুয়োপক্ষৰ মাজত যুদ্ধ আৰম্ভ হ'বলৈ ধৰিলে। বুৰঞ্জীত উল্লেখ আছে যে, সেইসময়ত দিহিঙৰ ধাৰেৰে ওপঙি যোৱা আধামৰা বৰালি মাছ এটাৰ অধিকাৰক কেন্দ্ৰ কৰিও তেওঁলোকৰ সীমান্ত ৰখীয়াৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।[২৯] এই সংঘৰ্ষত দুজন চুতীয়া লোকক আহোমে বন্দী কৰি লৈ যায়। এই সম্পৰ্কত চুতীয়াৰ মাণিক চন্দ্ৰ বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য। 'এই কথা মাণিকচন্দ্ৰ বৰুৱাই খুন্ত ৰজাৰ জোঁৱায়েকত কলে, বোলে, - "লুণ্ডা মুণ্ডা মানুহবোৰ, গাতো কলীয়া কাপোৰ, দেখোতেও এক বিধ দেখি, আমাৰ মানুহ ২ টাকো ধৰি নিলে, মাছো কাঢ়ি নিলে, গাকো ৰগুভগু কৰিলে"।' এনে উক্তিৰ পৰা অনুমান কৰিব পাৰি যে তেতিয়ালৈকে চুতীয়াসকলৰ সাধাৰণ জ্ঞানত আহোমসকল অধিক পৰিচিত ভাৱে প্ৰকাশ হোৱা নাছিল। আনহাতে এই কথাই ইঙ্গিত দিয়ে যে, নিতাই ওৰফে নীতিপাল তেতিয়ালৈকে চুতীয়া ৰাজ্যৰ ৰজা হোৱা নাছিল।

আহোমসকলৰ এনে কাৰ্যৰ পোতক তুলিবলৈ চুতীয়া ৰজা ধীৰনাৰায়ণে ১৫১৩ খ্ৰীঃত দিখৌ মুখত আহি পচলাৰে গড় বান্ধি কোঠ মাৰি ৰয়।[৩০] চুতীয়া সেনাই কোঠ

[২৭] দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৮।

[২৮] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫১।

[২৯] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ৮-৯; ড° সূৰ্যকুমাৰ ভূঞা (সঃ), **সাতসৰী অসম বুৰঞ্জী**, ২য় মুদ্ৰণ, গুৱাহাটী, ১৯৬৪, পৃঃ ৫৭।

[৩০] **Ahom Buranji**, p. 54-58; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৫-১৮; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫১-৫৫; কাশীনাথ তামুলীফুকন, পৃঃ ১৭-১৮; J.P Wade (tr), **An Account of Assam** (ed.) B. Sarma, North Lakhimpur, 1927, pp. 22-26; L. Devi, p. 61.



কৰাৰ খবৰ পাই চুহুংমুং দিহিঙ্গীয়া ৰজাই নিজৰ সেনা-বাহিনী পঠাই চুতীয়া ৰজাক বাধা প্ৰদান কৰিলে। ফলত জল-থল উভয়তে তেওঁলোকৰ মাজত যুদ্ধ হয়। যুদ্ধত চুতীয়াসকল হাৰে আৰু তেওঁলোকৰ বহুতো সেনা মৰা পৰে। এইদৰে যুদ্ধত ঘাটি অৱশিষ্ট চুতীয়া সেনা হঁহকি যাবলৈ বাধ্য হয়।[৩১] এই যুদ্ধত হাৰি অৱশ্যে চুতীয়াৰাজে আহোমৰ শক্তি প্ৰসাৰণৰ উমান পাইছিল। অৱশ্যে এই সংঘৰ্ষত জয়ী হোৱা আহোম সেনায়ো চুতীয়াসকলক পুনৰ আক্ৰমণ কৰিবলৈ আগবাঢ়ি অহা নাছিল। এই যুদ্ধত পৰাজিত হৈ চুতীয়া ৰজা ধীৰনাৰায়ণে পুনৰ ১৫২০ খ্ৰীঃত আহোম ৰাজ্য আক্ৰমণ কৰে। এইবাৰ আক্ৰমণৰ প্ৰধান কোঠ হ'ল দিহিংমুখ।[৩২] তেতিয়া দিহিংমুখৰ মুংখ্ৰাঙত আহোমৰো গড় আছিল। গড়ৰ সুৰক্ষাৰ দায়িত্বত থকা সেনাপতি খেনমুঙে আক্ৰমণৰ প্ৰতিৰোধকল্পে গড়ৰপৰা ওলাই চুতীয়া সেনাবাহিনীক প্ৰতিআক্ৰমণ কৰিলে।[৩৩] কিন্তু যুদ্ধত খেনমুঙৰ মৃত্যু হয় আৰু বাকী সেনাবাহিনী গড় এৰি পিছুৱাই যাবলৈ বাধ্য হয়। এইখন যুদ্ধৰ পিছত ধীৰনাৰায়ণে বিজয় উৎসৱ পালন কৰি ব্ৰাহ্মণক ভূমি দান কৰে আৰু জোঁৱায়েক নীতিপালক ৰাজকাৰ্য অৰ্পণ কৰি নিজে বাণপ্ৰস্থী হয়।[৩৪]

মুখ্ৰাং যুদ্ধত পৰাজয় বৰণ কৰাৰ পিছত চুহুংমুং স্বৰ্গনাৰায়ণে টিফু নদীৰ পাৰত এক বৃহৎ সৈন্য বাহিনী সংগ্ৰহ কৰে আৰু সেই নদীৰ পাৰতে এটা বৃহৎ দুৰ্গ স্থাপন কৰে।[৩৫] ১৫২৩ খ্ৰীঃৰ আঘোণ মাহত চুহুংমুং স্বৰ্গনাৰায়ণে চৰাইদেওৰ দেওশালত বলি-বিধান কৰি চুতীয়াৰ লগত যুদ্ধ কৰিবলৈ সসৈন্যে চেঁচা নদীৰ পাৰলৈ আগবাঢ়ি আহে।[৩৬] আহোমৰ এই আক্ৰমণ বাধা দিবৰ বাবে চুতীয়া ৰজা (নীতিপাল বা চন্দ্ৰনাৰায়ণ)ও ৰূপালৈ সসৈন্যে আগবাঢ়ি আহিল। এইদৰে চুহুংমুং স্বৰ্গদেৱৰ ৰাজত্বকালত আৰম্ভ হ'ল আহোম চুতীয়া সংঘৰ্ষৰ চূড়ান্ত পৰ্যায়। আহোম দলৰ নেতৃত্বত যোৱা ফ্ৰাচেংমুং বৰগোহাঁয়ে ডিবুৰুমুখত গড় বান্ধি যুদ্ধ তৰি লোৱাত চুতীয়া সেনা ভাগি এইবাৰ সদিয়া পালেগৈ। আহোম সেনায়ো চুতীয়া বাহিনীক সদিয়া পৰ্যন্ত খেদি গ'ল।

সদিয়াত হোৱা আহোম-চুতীয়াৰ এই যুদ্ধ কিছু দীৰ্ঘদিনীয়া হৈছিল। যুদ্ধৰ ফলাফল ক্ৰমে অৱনতিৰ ফালে ঢাল খোৱাত চুতীয়াৰাজে সোণৰ হাৰ ১ গছ, কঁৰীয়া ১ যোৰ, পাটী ৪ খন দি আহোমৰ বশ্যতা স্বীকাৰ কৰি লৈ ভৱিষ্যতে আহোমৰ কৰদাতা ৰজা হৈ থাকিব পৰাকৈ সন্ধিৰ প্ৰস্তাব আগবঢ়ালে। বুৰঞ্জীত আছে - 'আমাক খেদাকোৱা

[৩১] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৬; **Ahom Buranji**, p. 54.

[৩২] ঐ।

[৩৩] দেওধাই অসম বুৰঞ্জী, ১৭ পৃষ্ঠা; **Ahom Buranji**, *p*. 54.

[৩৪] বিস্তৃত বিৱৰণৰ বাবে দ্বিতীয় অধ্যায় চাওক।

[৩৫] **Ahom Buranji**, p. 55.

[৩৬] *ibid.*

নকৰিব, উলটি যক। বৎসৰি বৎসৰি কৰ-ভাৰ দি থাকিম।[৩৭] কিন্তু যি দৈৱ প্ৰদত্ত সম্পত্তিৰ শক্তিৰ আধাৰত চুতীয়া ৰজাৰ ৰাজনৈতিক শক্তি নিহিত থকা বুলি আহোম ৰজাৰ বিশ্বাস আছিল, সেই দ্ৰব্যসমূহ - সুনীয়া-ৰূপীয়া দণ্ড, সুনীয়া-ৰূপীয়া খাট, সোণৰ-ৰূপৰ মেকুৰী নিদিয়ালৈক সন্ধিৰ প্ৰস্তাৱ আহোমৰাজে অগ্ৰাহ্য কৰিলে। ফলত আহোম-চুতীয়াৰ সংঘৰ্ষই নতুন মূৰ ললে। শেষ পৰ্যায়ত গৰ্ভৱতী ৰাণী সাধনী আৰু নাবালক ৰাজকোঁৱৰ সাধকনাৰায়ণক লগত লৈ নীতিপালে চন্দনগিৰি পাহাৰত আশ্ৰয় গ্ৰহণ কৰিলে।[৩৮] ইতিমধ্যে চুতীয়াৰ বৃহৎ সেনাবাহিনী ভাগি পৰিছিল আৰু ৰজা-ৰাণী-ৰাজকোঁৱৰ প্ৰায় নিঃসহায় অৱস্থাত পৰি মুষ্টিমেয় সৈন্যেৰে পাহাৰৰ ওপৰৰ পৰা শিল বগৰাই দি আহোম সেনাক বাধা দি ৰাখিব লগা হৈছিল। তথাপি শেষ মুহূৰ্তত তেওঁলোকে ৰাজ্য ৰক্ষ্যা কৰিব নোৱাৰিলে। বৰঞ্চ, ৰজা ৰাণীয়ে প্ৰাণ ত্যাগ কৰিব লগা হ'ল।[৩৯]

১৫২৩-২৪ খ্ৰীঃত চুতীয়া ৰাজ্য আহোমৰ হাতত পৰিল। ইয়াৰ লগে লগে দীৰ্ঘদিনীয়া চুতীয়া শাসনৰো অন্ত পৰিল। বুৰঞ্জীবিলাকত উল্লেখ আছে যে, সদিয়া অধিকাৰ কৰি চুতীয়া ৰাজপৰিয়ালৰ কোঁৱৰসকলৰ উপৰি সম্ভ্ৰান্ত পৰিয়ালসমূহৰ প্ৰায়সকল সদস্যকে সদিয়াৰ পৰা স্থানান্তৰিত কৰি আহোম ৰাজ্যৰ ভিতৰত ঠায়ে ঠায়ে পাতিলে। যাতে ভৱিষ্যতে তেওঁলোকে কোনোধৰণৰ চুতীয়া বিদ্ৰোহ বা উত্থানৰ সন্মুখীন হ'ব লগা নহয়। স্বৰ্গদেৱ চুহুংমুং দিহিঙীয়া ৰজাই ইয়াৰ পিছত ৰাজ্যখন নিজ ৰাজ্যৰ লগত চামিল কৰি লয় আৰু সদিয়াত প্ৰশাসনীয় কেন্দ্ৰ এটা স্থাপন কৰি ৰাজ্যখন পৰিচালনাৰ বাবে সদিয়াখোৱা গোঁহাই নাম দি প্ৰাদেশিক শাসনকৰ্তা এজনৰ নিযুক্তি দিয়ে।[৪০] সদিয়া বিজয়ী ফ্ৰাচেংমুং বৰগোঁহাই এই নতুন ৰাজ্যখণ্ডৰ প্ৰথমজন শাসনকৰ্তা নিযুক্ত হয়।[৪১] উল্লেখ আছে যে, বৰগোঁহাইৰ লগত স্বৰ্গদেৱে প্ৰতিৰক্ষাৰ বাবদ মানুহ দিছিল তিনিহেজাৰ, আৰু হাতী থৈছিল ৩ টা।[৪২] আহোমৰ সদিয়া অধিকাৰৰ লগে লগে চুতীয়া শাসনৰো অন্ত পৰিল আৰু স্বাধীন চুতীয়া ৰাজ্য আৰু আহোম ৰাজতন্ত্ৰৰ মাজত সম্পৰ্কও নোহোৱা হ'ল।

আহোম-চুতীয়াৰ ৰাজনৈতিক সম্পৰ্ক আলোচনা কৰি তাৰ আধাৰত কেইটামান দিশত আলোকপাত কৰাটো সম্ভৱ হয়। ৰাজ্য গঠনৰ প্ৰাৰম্ভিক কালছোৱাত আহোম ৰাজ্যখনৰ ভৌগোলিক অৱস্থিতিৰ পৰিপ্ৰেক্ষিতত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বিকাশ লাভ কৰা চুতীয়া ৰাজ্যখনৰ লগত আহোমৰ বিশেষ সম্পৰ্ক ঘটা নাছিল। কিন্তু প্ৰায় এশ বছৰমানৰ ভিতৰতে ক্ৰমান্বয়ে বিস্তাৰ লাভ কৰা আহোম ৰাজ্যখনৰ লগত বহুপূৰ্বে প্ৰতিষ্ঠা লাভ

৩৭ সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ৯।
৩৮ ঐ।
৩৯ Gait, **A History of Assam**, p. 88.
৪০ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯।
৪১ ঐ।
৪২ ঐ।



কৰা চুতীয়া ৰাজ্যখনৰ প্ৰতিদ্বন্দ্বিতা হ'বলৈ আৰম্ভ কৰে আৰু পৰস্পৰে পৰস্পৰৰ অগ্ৰগতি আৰু বিকাশত নিজৰ অস্তিত্বৰ প্ৰতি সন্দিহান হ'বলৈ আৰম্ভ কৰে। উল্লেখযোগ্য যে, চুতীয়া ৰজাৰ মৃত্যুক লৈ দুয়োপক্ষৰ মাজত ভুল বুজাবুজি সৃষ্টি হোৱাৰ কথা ইতিমধ্যে আলোচনা কৰা হৈছে। এই ঘটনাৰ আলমতে তেওঁলোকৰ মাজত শত্ৰুতাৰ বীজ অংকুৰিত হৈছিল। খ্ৰীঃ ১৫ শতিকাৰ শেষৰফালে সিংহাসনত উঠা চুহুংমুং ওৰফে দিহিঙীয়া ৰজাই সম্প্ৰসাৰণবাদত বিশ্বাস কৰিছিল আৰু কেউকাষে থকা ৰাজ্যসমূহ জয় কৰি নিজ ৰাজ্যৰ ভৌগোলিক পৰিসীমা বৰ্দ্ধনৰ বাবে প্ৰচেষ্টা কৰিছিল। এই ভৌগোলিক সম্প্ৰসাৰণ [illegible] মূল উদ্দেশ্য নিহিত আছিল মধ্যযুগীয় ৰাষ্ট্ৰ ব্যৱস্থাৰ ন্যাৰ্যতা প্ৰতিষ্ঠা প্ৰক্ৰিয়াত।[৪৩] মন কৰিবলগা যে চুহুংমুঙৰ মনত চুতীয়া ৰজা এজন শক্তিশালী শত্ৰু আছিল।[৪৪] আৰু এই শক্তিশালী শত্ৰুৰ শ্ৰীবৃদ্ধি হোৱাটো তেওঁৰ বাবে ভয়ৰ কাৰণ বুলি বিবেচিত হৈছিল।[৪৫] সেয়েহে এইজন আহোম ৰজাৰ সময়ত আহোম-চুতীয়াৰ ৰাজনৈতিক সম্পৰ্কই নতুন মূৰ লৈছিল।

চুতীয়া ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশটোৱেও আহোমৰ লগত থকা তেওঁলোকৰ ৰাজনৈতিক সম্পৰ্ক কিছু পৰিমাণে প্ৰভাৱান্বিত কৰিছিল। উল্লেখযোগ্য যে, সদিয়া চহৰৰ আশে-পাশে বহুতো লোণৰ পুং থকাৰ উপৰিও সদিয়াৰ মাজেৰে তিব্বত, চীন, ব্ৰহ্মদেশৰ লগত প্ৰাচীন ভাৰতীয় বাণিজ্যৰ পথো উদ্‌ঘাটিত হৈছিল।[৪৬] [illegible] আদি (আবৰ), নিছি (ডফলা) মিচিমি, মিচিং (মিৰি) আদি পাহাৰীয়া জনজাতিসকলৰ প্ৰধান বজাৰ আছিল সদিয়াত।[৪৭] আনহাতে, তিব্বত, চীন আদি দেশৰ [illegible] সোণ-ৰূপৰ আমদানিও সদিয়াৰ বজাৰৰ জৰিয়তেই হৈছিল।[৪৮] ফলত অৰ্থনৈতিক [illegible] সদিয়াসহ সমগ্ৰ চুতীয়া ৰাজ্যখন আহোমৰ হস্তগত হোৱাটো - তেওঁলোকৰ বাবে জৰুৰী আছিল। স্বাভাৱিকতে সেই দৃষ্টিকোণৰ পৰাহে আহোম স্বৰ্গদেৱে চুতীয়া ৰজাৰ প্ৰতি ৰাজনৈতিক নীতি এটাও গ্ৰহণ কৰিছিল।

বহুপূৰ্বে গঠিত হোৱা ৰাজ্য হিচাপে চুতীয়া ৰাজ্যখনত আৰ্থ-সামাজিক দিশৰ

৪৩ Herman Kulke (ed.), "The Early and the Imperial Kingdom : A Processual Model of Investigative State Formation in Early Medieval India', **The State in India 1000-1700**, 3rd Print, New Delhi, 2004, pp. 233-263.
৪৪ সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ৯।
৪৫ ঐ।
৪৬ John M'Cosh, **Topography of Assam**, 1st Indian Reprint, New Delhi, 1986, p.11; Captain R.B. Pemberton, **Report on the Eastern Frontier of British India**, Reprint, Gauhati, 1966, p. 60; D.G. Hall, **A History of South East Asia**, 4th edition, London, 1981, p.660.
৪৭ *ibid.*
৪৮ **The Comprehensive History of Assam**, Vol-III, p. 126.

বিকাশো ঘটিছিল আহোম ৰাজ্যতকৈ বেলেগ ৰূপত। কৃষি শিল্পৰ বিকাশৰ লগে লগে তাত নানান শ্ৰেণীৰ শিল্পী-কাৰিকৰ আৰু বৃত্তিধাৰী মানুহৰ সৃষ্টি হৈছিল। তাৰ বিপৰীতে আহোম ৰাজ্যখনত তেতিয়ালৈকে তেনেদৰে কাৰিকৰী-শিল্পী আৰু বৃত্তিধাৰী সামাজিক গোট বা বৰ্ণ ভিত্তিক সমাজ এখনৰ বিকাশ হোৱা নাছিল। ফলত এই বৃত্তিধাৰী লোকসকলৰ ওপৰত আহোম স্বৰ্গদেৱৰ চকু পৰিছিল। চুতীয়া ৰাজ্য আক্ৰমণৰ অন্তৰালত আহোমৰাজ চুহুংমুঙৰ বাবে সেইটো প্ৰধান বিচাৰ্য বিষয় বুলি বুৰঞ্জীত উল্লেখ আছে।[৪৯] সেয়েহে বুৰঞ্জী লেখকে চুতীয়া ৰাজ্য মাৰি কিমান লাভ হ'ল তাক উল্লেখ কৰিবলৈ গৈ লিখিছে এইদৰে - 'চুতীয়া ৰাজ্য মাৰি আহোমে পালে হাতী ২৭ টা, ঘোঁৰা ১০০ টা, হিলৈ ১০০০, নৌকা ৭০০, প্ৰজা, ধন, ধান্য অপৰ্যন্ত লেখ নাই। ম'হ ৯০০, দৈৱজ্ঞ, ব্ৰাহ্মণ, তাঁতী, সোণাৰি, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ, দণ্ড-ছত্ৰ, কেকোৰাদোলা, চৰা নাও, বৰচা ইত্যাদি লাভ কৰিলে।[৫০] এনে উদ্ধৃতি আৰু গুৰুত্বৰপৰা অনুমান কৰিব পাৰি যে আহোম ৰাজ্যত পিছৰ পৰ্যায়ত গঢ়ি উঠা বহুতো শিল্প-কৰ্ম আৰু কাৰিকৰী বিদ্যা চুতীয়া ৰাজ্যখন জয় কৰাৰ পিছতহে আৰম্ভ হৈছিল।' উল্লেখনীয় যে ১৫২৩-২৪ খ্ৰীঃত চুতীয়া ৰাজ্য জয় কৰাৰ সময়ত আহোম সেনাই হিলৈ-বাৰুদৰ লগত পৰিচয় হোৱা বুলি যি অনুমান কৰা হয়, এইটো সত্য হ'লে, সিয়ে পৰৱৰ্তী পৰ্যায়ত আহোমৰ সামৰিক বিভাগৰ অগ্ৰগতিত বিশেষ অৰিহণা যোগাইছিল যেন লাগে। অৱশে, আহোম-চুতীয়াৰ মাজৰ যুদ্ধৰ বৰ্ণনা কৰোঁতে বুৰঞ্জীবিলাকত হিলৈ-বাৰুদ ব্যৱহাৰ কৰাৰ কোনো উল্লেখ নথকাটো মন কৰিবলগা।

চুতীয়া ৰাজ্যখনৰ পতনৰ পিছত সম্ভ্ৰান্ত চুতীয়াসকলৰ শক্তি-সামৰ্থ বিনষ্ট কৰি দেশান্তৰিত কৰাৰ পিছতো চুতীয়াসকলৰ মাজত ৰাজ্য হেৰুৱাৰ ক্ষেত্ৰত ক্ষোভ পুঞ্জিভূত হৈ ৰৈছিল আৰু তাৰ বৰ্হিঃপ্ৰকাশ ঘটিছিল। সেই ক্ষোভ প্ৰকাশ পাইছিল তেওঁলোকে বাৰম্বাৰ আয়োজন কৰা বিদ্ৰোহসমূহৰ ৰূপত। ৰাজ্য হেৰুৱাৰ পৰৱৰ্তী পৰ্যায়ত চুতীয়াসকলে কেনেকৈ এই ক্ষোভ প্ৰকাশ কৰি বিদ্ৰোহ কৰিছিল সেই বিষয়ে পৰৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে।

চুতীয়া ৰাজ্যৰ দৰে এখন প্ৰতিষ্ঠিত ৰাজ্যৰ পতন ইমান সহজে হ'বলৈ পালে কেনেকৈ? কোনো সন্দেহ নাই যে আহোম-চুতীয়াৰ সংঘৰ্ষৰ ভৰপক অৱস্থাত দুই ৰাজ্যৰ ৰাজনীতিত নেতৃত্বৰ বিপৰীতধৰ্মিতা প্ৰকাশ পাইছিল। পূৰ্বে উল্লেখ কৰাৰ দৰে চুহুংমুং দিহিঙ্গীয়া ৰজাৰ নেতৃত্বত আহোম সামৰিক বাহিনীৰ শক্তি সংগঠিত ৰূপত বৃদ্ধি পাই যোৱাৰ বিপৰীতে নীতিপালৰ হাতত চুতীয়াসকলৰ শক্তি হঠাৎ আৰু প্ৰভূত পৰিমাণে হ্ৰাস পাইছিল। নীতিপালে ৰাজনীতিৰ জ্ঞান নথকা তেওঁৰ সাধাৰণ শ্ৰেণীৰ লোকক

---

[৪৯] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৯।
[৫০] ঐ, পৃঃ ২০০।



গুৰুত্বপূৰ্ণ দায়িত্ব দি ৰাজ্য শাসন কৰিবলৈ লোৱাত সম্ভ্ৰান্তসকলে নিজৰ দায়িত্বৰ প্ৰতি গা-এৰা দিছিল।[৫১] তাৰ ফলত, তেওঁলোকৰ নেতৃত্বত আহোমৰ বিৰুদ্ধে চুতীয়াৰ এক ঐক্যবদ্ধ সংগ্ৰাম সম্ভৱ হৈ নুঠিছিল। উল্লেখনীয় যে, ধনু-কাঁড়, যাঠি, নাও-নাওৰা, হাতী, ঘোঁৰা সকলোবোৰ হাতিয়াৰেৰে সুসজ্জিত হৈ চুতীয়াসকলে যুদ্ধ কৰা স্বত্বেও যুদ্ধৰ নক্সা এখন তৈয়াৰ কৰাত আৰু ফলপ্ৰসু পদ্ধতি এটাৰ বিকাশ ঘটোৱাত চুতীয়া সেনাই আহোমক চেব পেলাব পৰা নাছিল। চুহুংমুং দিহিঙ্গীয়া ৰজা আৰু তেওঁৰ প্ৰধান সেনাপতি ফ্ৰাচেংমুং বৰগোঁহাঞিও - দুয়োয়ে সামৰিক প্ৰস্তুতিৰ জ্ঞানত বিচক্ষণতাৰ পৰিচয় দিছিল। উল্লেখ পোৱা যায় যে, ডিব্ৰু নদীৰ মুখত হোৱা যুদ্ধ[৫২] আৰু চন্দনগিৰি পাহাৰত হোৱা চূড়ান্ত যুদ্ধত – উভয়তে চুতীয়া সেনাৰ অজ্ঞাতেই তেওঁলোকৰ একাংশ, চুতীয়া ৰজা, আৰু প্ৰশাসনৰ আন আন সদস্যসকল আহোম সেনাৰ গৰাহত পৰিছিল। আহোম সেনাই শিলফালৰ পৰা ভেটা দি আক্ৰমণ কৰি তেওঁলোকক ধ্বংস কৰিছিল।[৫৩] এই তথ্যই চুতীয়া ৰাজ্যৰ সামৰিক অপটুতাৰ সাক্ষীয়েই বহন কৰে। অনুমান কৰিব পাৰি যে শেষ পৰ্যায়ত সৈন্য-সামন্ত, ডাঙৰীয়া, সেনাপতি - এইসকলেও গা-এৰাদি নিজৰ প্ৰাণ ৰক্ষাত ব্যস্ত হ'ব লগা হৈছিল। বুৰঞ্জীত উল্লেখ আছে যে, চূড়ান্ত পৰ্যায়ত নিজক ৰক্ষা কৰিবলৈ ৰজা আৰু তেওঁৰ ৰাণীসকলে পৰ্বতৰ ওপৰৰ পৰা আহোম সেনাৰ গালৈ শিল বগৰাই যুদ্ধ কৰি আহোম সেনাক ভেটিবলৈ চেষ্টা কৰিব লগা হৈছিল।[৫৪]

চুতীয়া ৰাজ্যখনৰ সামাজিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত্তো সমগ্ৰ প্ৰক্ৰিয়াটো চালি-জাৰি কৰা উচিত। ইতিমধ্যে হিন্দু ধৰ্ম গ্ৰহণ কৰি ব্ৰাহ্মণ্যবাদত বিশ্বাসী হোৱা চুতীয়া ৰাজ্যত বৰ্ণবাদৰ বিকাশ ঘটিছিল, আৰু চুতীয়া জনগোষ্ঠীটোৱেই ভাগি ভাগ ভাগ হৈ পৰিছিল। হিন্দু ধৰ্মৰ সংস্পৰ্শ লাভ কৰি ৰাজন্যবৰ্গ আৰু সম্ভ্ৰান্তসকলে এহাতে যেনেকৈ নিজকে উচ্চ শ্ৰেণী বুলি জ্ঞান কৰিছিল, আনহাতে হিন্দু ধৰ্মৰ অধিক সংস্পৰ্শ লাভ কৰিবলৈ নোপোৱা বা লাভ কৰিবলৈ ইচ্ছা নকৰাসকল জনজাতীয় স্তৰতে ৰৈ গৈছিল। ফলত চুতীয়াসকলৰ মাজত সামাজিক বৈষম্য আৰু শ্ৰেণী বিভাজন ঘটিছিল আৰু তাৰফলত তেওঁলোকৰ মাজত ঐক্য বিন্যস্ত হৈছিল। তেওঁলোকৰ বাবে ৰাজ্যতকৈ শ্ৰেণীস্বাৰ্থ হৈ পৰিছিল অধিক। সেই সময়ছোৱাত চুতীয়া ৰজাসকলে মাটি-বৃত্তি দান দি ব্ৰাহ্মণ-পণ্ডিত সকলকো ৰাজ্যত সংস্থাপন কৰিছিল।[৫৫] তাৰ ফলত ৰাজ্যৰ ভূমি বিতৰণ

---

[৫১] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৯।
[৫২] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৭।
[৫৩] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ২০০।
[৫৪] ঐ।
[৫৫] ড° মহেশ্বৰ নেওগ (সঃ), **প্ৰাচ্য শাসনাৱলী**, গুৱাহাটী, ১৯৭৪, ফলি নং ১০৬ আৰু ১০৭; **সোনগিৰি, স্মৃতিগ্ৰন্থ**, সদৌ চুতীয়া জাতি সন্মিলন, গোগামুখ, ২০০২, পৃঃ ১০১-১০৭।

আৰু প্ৰজাৰ ভূমি স্বত্বও হৈছিল বৈষম্যমূলক।[৫৬] বোধহয় কৃষি কাৰ্যতো ইতিমধ্যে আধিয়াৰ শ্ৰেণী এটা সৃষ্টি হৈছিল আৰু কৃষকৰ হাতত কৃষিভূমিৰ কিছু নাটনি হৈছিল।[৫৭] স্বাভাৱিকতে যি কৃষক বাহিনীক লৈ ৰাজ্যখনৰ সামৰিক শক্তি তৈয়াৰ হৈছিল, সেই কৃষক শ্ৰেণীটো ক্ৰমান্বয়ে গঢ়ি উঠা সামন্তীয় অৰ্থনৈতিক অৱস্থা এটাত নিষ্পেষিত হৈ ক্ষোভিত হৈ পৰিছিল। সেয়েহে সামন্তীয় শ্ৰেণীটোৱে তেওঁলোকক সময়ত সংগঠিত কৰি উলিয়াব পৰা নাছিল।

চুতীয়া ৰাজ্যখন অধিকাৰ কৰি চুতীয়াৰ পুনৰ বিদ্ৰোহ কৰিব নোৱাৰাকৈ আহোম ৰজাই এহাতে সদিয়াক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যখনতে এক প্ৰশাসনীয় গোট বা 'ৰাজ্য' (province) কৰি তাত সদিয়াখোৱা গোঁহাইক স্থায়ীভাৱে ৰাখিছিল। লগে লগে ৰাজধানী চহৰৰ ওচৰে-পাজৰে বসবাস কৰি থকা সকলোবোৰ চুতীয়া লোকক ধৰি নানান প্ৰকাৰে শাস্তি বিহি আহোম সেনাই আতংকৰো সৃষ্টি কৰিছিল, আৰু বহুতক স্থানান্তৰিত কৰি আহোম ৰাজ্যৰ ভিতৰতে থাকিবলৈ দিছিল।[৫৮] অনুমান কৰিব পাৰি যে ৰাজ্য ভগা সময়ত সমগ্ৰ সদিয়া অঞ্চলতে এক অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হৈছিল, যাৰ ফলত কেৱল চুতীয়া লোকেই নহয়, আন আন প্ৰজা আৰু ধৰ্মানুষ্ঠানবোৰত থকা ব্ৰাহ্মণ-পুৰোহিত-পূজাৰীও সদিয়া এৰি পলাই পত্ৰং দিছিল। তেনেদৰে 'দেশ বিভ্ৰাটৰ সময়ত' সদিয়া এৰি যোৱাসকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আহোমৰাজৰ পৰোক্ষ দৃষ্টিত থকা ঠাইবোৰত, হাবিয়ে-জংঘলে আশ্ৰয় ল'ব লগা হৈছিল। কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা বদুলা পদ্ম আতাৰ উপৰি পুৰুষো তেনেদৰেই সদিয়াৰ পৰা ভাগি অহা লোকেই আছিল বুলি চৰিত পুথিত আছে।[৫৯] এইদৰে ৰাজ্য এৰি পলাই যোৱা বা অন্য ঠাইলৈ নিৰ্বাসন দিয়া সম্ভ্ৰান্তসকলৰ লগত আহোমসকলে অৱশ্যে পিছৰকালত একেবাৰে সম্পৰ্ক নৰখাকৈ থকা নাছিল। কিন্তু ৰাজনৈতিক ভাৱে যাতে চুতীয়াসকলৰ পুনৰুত্থান হ'ব নোৱাৰে তাৰ বাবে আহোম ৰাষ্ট্ৰই চকু সদায় ৰাখিছিল। অৱশ্যে, আহোমৰ দৃঢ় ৰাজনৈতিক তথা প্ৰশাসনিক নীতি স্বত্বেও তেওঁলোকৰ সমগ্ৰ ছুশ বছৰীয়া শাসনৰ কালছোৱাত চুতীয়াৰ সামৰিক নেতৃবৃন্দ আৰু সম্ভ্ৰান্তসকল একেবাৰে নীৰৱে থকা নাছিল। ৰাজতন্ত্ৰৰ ওৰ পৰিলেও পৰৱৰ্তী প্ৰায় ডেৰশ বছৰ কাললৈ তেওঁলোকে ভিতৰি ভিতৰি সংগঠিত হোৱাৰ চেষ্টা

[৫৬] R.S. Sharma, **Perspectives in Social and Economic History of Early India**, New Delhi, 1983, pp. 219f.; D. Nath, 'Aspects of Agrarian Relation as Reflected in the Copper Plate Grants of Ancient Assam', **Journal of Historical Research**, Dibrugarh University, Vol. IV, 1991, pp. 52f.

[৫৭] ঐ।

[৫৮] Gait, **A History of Assam**, p. 44.

[৫৯] **বদুলা আতাৰ চৰিত**, বদুলা আতাৰ ৪৫৯ তম্ জন্ম জয়ন্তী মহোৎসৱ উপলক্ষে আয়োজন কৰা আলোচনা সভাত ড° ডম্বৰুধৰ নাথে দিয়া লিখিত ভাষণ "কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা গুৰু বদুলা পদ্ম আতা ঃ দৰ্শন আৰু কৃতিত্ব" উল্লেখিত।



কৰিছিল আৰু সুবিধা পালেই সেই প্ৰচেষ্টা বিদ্ৰোহৰ ৰূপত উপস্থাপন কৰিছিল। ৰাজ্য হেৰুৱাৰ মুহূৰ্তৰ পৰা আহোমৰ ৰাজ্যচ্যুতি হোৱাৰ কাললৈকে বিভিন্ন সময়ত আৰু বিভিন্নৰূপত চুতীয়াসকলে বিদ্ৰোহ কৰিছিল। আৰু শেষ পৰ্যায়ত তেওঁলোক কিছুপৰিমাণে কৃতকাৰ্যও হৈছিলগৈ, অন্ততঃ প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে, মোৱামৰীয়া বিদ্ৰোহৰ সময়ত।

চুতীয়া ৰাজতন্ত্ৰৰ শেষৰ ফালে গৌড়ৰ পৰা আৰম্ভ কৰি কমতা-কামৰূপহৈ সুদূৰ সদিয়া পৰ্যন্ত কেৱল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰতে বহুতো সৰু-বৰ ৰাজ্য গঠন হৈছিল। বিশেষকৈ ভূঞাসকলৰ উত্থান আছিল এই ক্ষেত্ৰত লেখত ল'বলগীয়া। কাৰণ, আগতে উল্লেখ কৰি অহা হৈছে যে চুতীয়া ৰাজ্যখন পতনৰ পিছত ভূঞাসকলে অকলেই আহোম সেনাবাহিনীক প্ৰত্যাহ্বান জনাই ফেপেৰি পাতি ধৰিছিল। উল্লেখযোগ্য যে, ইতিমধ্যে ব্ৰাহ্মণ্যধৰ্মৰ সংস্পৰ্শলৈ অহা আহোম ৰাজতন্ত্ৰৰ কৌটিলীয় নীতিৰ লগতো পৰিচয় ঘটিছিল। চুহুংমুং দিহিঙ্গীয়া ৰজাই 'স্বৰ্গদেৱ' বা 'স্বৰ্গনাৰায়ণ' উপাধি লোৱাটো এই ক্ষেত্ৰত মন কৰিবলগা। ইফালে উত্তৰ-ব্ৰহ্মদেশৰ পৰা অহাৰ সময়তো আহোম ৰাজ্য প্ৰতিষ্ঠাতা চুকাফাই ৰাজ্য আহৰণ আৰু প্ৰতিপালনৰ জ্ঞান লগত লৈ আহিছিল। গতিকে, সমসাময়িক আন আন শক্তিশালী ৰাজন্যগোষ্ঠীৰ লগত সম্প্ৰসাৰণৰ সংগ্ৰাম আৰম্ভ নকৰি চুহুংমুঙে দুৰ্ব্বলতৰ ভাবিয়েই বোধহয় চুতীয়া ৰাজ্যখন আক্ৰমণৰ বাবে সৰ্বপ্ৰথমে প্ৰচেষ্টা চলাইছিল। মন কৰিবলগা যে, চুহুংমুঙৰ সময়ত আহোম-চুতীয়াৰ মাজত হোৱা সংঘৰ্ষৰ সমগ্ৰ ছবিখনত আহোমৰ আক্ৰমণ আৰু চুতীয়াৰ প্ৰতিৰক্ষাৰ ছবি এখনহে অধিকভাৱে প্ৰতিভাত হৈ উঠে। এই বিসদৃশ সামৰিক আৰু ৰাজনৈতিক চৰিত্ৰও বোধহয় চুতীয়া ৰাজ্যখনৰ পতনৰ অনত্যম কাৰণ। মন কৰিব লগা যে চুতীয়া ৰাজ্যৰ অৱনতিৰ কালছোৱাতে আহোম ৰাজ্যখনৰ সামৰিক আৰু ৰাজনৈতিক শক্তিৰ উত্থান ঘটিছিল।

খ্ৰীঃ ১৫-১৬ শতিকাত হোৱা আহোম-চুতীয়া সম্পৰ্ক সম্পূৰ্ণ ৰাজনৈতিক আছিল, যদিও এই সম্পৰ্ক ৰূপায়ণ প্ৰক্ৰিয়াত নানান আৰ্থ সামাজিক উপাদানে ক্ৰিয়া কৰিছিল। মধ্যযুগীয় ৰাষ্ট্ৰ একোখন মোটা-মোটি ভাৱে সাম্প্ৰদায়িক ভিত্তিত গঢ়ি উঠাৰ পৰিপ্ৰেক্ষিতত এই সম্পৰ্কবোৰ, প্ৰতিদ্বন্দ্বিতা হওক বা সম্প্ৰীতিৰেই হওক, ৰাজনৈতিক ভাৱে শক্তিশালী দুই সম্প্ৰদায়ৰ মাজত হোৱা যেন লাগে যদিও প্ৰকৃততে এইবোৰ সম্পৰ্ক দুই ৰাজ্য আৰু ৰাজতন্ত্ৰৰ মাজৰহে সম্পৰ্ক আছিল। বিয়া-বাৰু, কৃষি-শিল্প-বাণিজ্য আদিৰ মাজেৰে সাধাৰণ প্ৰজাৰ মাজত অনতিপলমে হোৱা নতুন অথচ দৃঢ় সম্পৰ্কই তাকেই প্ৰতীয়মান কৰে। সেয়ে চুতীয়া ৰাজ্যখন বিলুপ হোৱাৰ পিছত সাধাৰণ প্ৰজাৰ মাজৰ সম্পৰ্ক বিঘ্নিত হোৱা নাছিল। কিন্তু উনবিংশ শতিকাৰ পৰৱৰ্তী কালছোৱাত ইউৰোপীয়সকল, বিশেষকৈ ব্ৰিটিছসকলৰ আগমণত ভাৰতবৰ্ষ কেন্দ্ৰিক যি আধুনিক বুৰঞ্জী প্ৰণয়নৰ ধাৰা এটা আৰম্ভ হ'ল তাৰ প্ৰধান উপজীব্য আছিল সাম্প্ৰদায়িকতাবাদ-

ঔপনিবেশিক প্ৰশাসনৰ স্থায়ীত্ব ৰক্ষাৰ এক কৌশল। স্বাভাৱিকতে চুকাফাৰ ৰাজ্য নহৈ আহোম ৰাজ্য, ৰত্নধ্বজপালৰ ৰাজ্য নহৈ চুতীয়া ৰাজ্য, বা বিশ্বসিংহৰ ৰাজ্য নহৈ কোচ ৰাজ্যৰ সৃষ্টি হ'ল। সেইদৰে কছাৰী, জয়ন্তীয়া আদি ৰাজ্যও হ'ল। ফলত তেওঁলোকৰ মাজত হোৱা সম্পৰ্কও উল্লেখিত হ'ল সাম্প্ৰদায়িক ৰূপত। এই ঐতিহাসিক পৃষ্ঠভূমিয়ে পৰৱৰ্তী কালত ভাৰতবৰ্ষত, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত, যত এতিয়াও আঢ়ৈশতকৈও অধিক সম্প্ৰদায়ৰ বসবাস,[৬০] সাম্প্ৰদায়িকতাৰ মনোভাৱৰ বীজ ৰোপণ নকৰাকৈ থকা নাই। পৰৱৰ্তী কালত সেয়ে সাংগঠনিক ভিত্তিত আয়োজন কৰা যিকোনো সামাজিক-ৰাজনৈতিক আন্দোলনতে সংগঠকসকলে এই উপাদানসমূহ ব্যৱহাৰ কৰা দেখা যায়।

[৬০] K. Suresh Singh (ed), **People of India**, New Delhi, 2003, Vol. XV, Introduction.

# আহোম প্ৰশাসন ব্যৱস্থাত চুতীয়াসকল

তেৰ শতিকাৰ আগ ভাগত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিবৰ সময়ত টাই-শান গোষ্ঠীৰ আহোমসকল এটা সংখ্যালঘু জাতি আছিল। এই দেশ লুণ্ঠন কৰি নিজৰ দেশ চহকী কৰাৰ উদ্দেশ্যৰে আক্ৰমণকাৰীৰ ৰূপত আহোমসকল ইয়ালৈ অহা নাছিল। তেওঁলোক আহিছিল প্ৰব্ৰজনকাৰী ৰূপেহে; ইয়াৰে থলুৱা অধিবাসীসকলৰ লগত মিলি-জুলি স্থায়ীভাৱে ইয়াতে থাকি যাম বুলি। এই কথা তেওঁলোকৰ লিখিত বুৰঞ্জীৰপৰাই স্পষ্ট হয়। মৰাণ-বৰাহী অধ্যুষিত অঞ্চলত ভৰি দি চাওলুং চুকাফাই তেওঁলোকক ভোজ-ভাতলৈ নিমন্ত্ৰণ জনাই কৈছিল - 'আমিয়েৰে দেখা-দেখি হওঁ আঁহক। আমি উজনি ৰাজ্যৰ পৰা আহিছো। সিবোৰ হৈছে স্থানগিৰি। আমি আলহি। আমাক গাঁও-ভূইখনৰো পৰিচয় কৰাব লাগে।'[১] চুকাফাৰ আতিথ্যত মুগ্ধ হৈ মৰাণ-বৰাহীসকলে তেওঁকে ৰজা মানি খৰি-খেৰ, শাক-পাছলি আদি যোগান ধৰিবলৈ মান্তি হ'ল।[২] ইয়াৰ পিছত তেওঁলোকৰ লগত সম্প্ৰীতিৰে থকাৰ উদ্দেশ্যে চুকাফাই মৰাণ-বৰাহীৰ চাৰিগৰাকী কুঁৱৰী বিবাহ কৰালে আৰু তেওঁকে দেখি তেওঁৰ লগত অহা মানুহেও এই দুটা জাতিৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিলে। চুকাফাই নিজৰ ভাষা-সংস্কৃতি থলুৱা লোকৰ ওপৰত জাপি নিদি তেওঁলোকৰ খিনিকে গ্ৰহণ কৰিলে। এনেকৈয়ে এটা সমন্বয়ৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। এই কথা **সাতসৰী অসম বুৰঞ্জী**ত এনেদৰে লিপিবদ্ধ হৈছে - "যি চুটিয়া, কছাৰী, মৰাণ পাই লগত ললে, তাৰো কাৰ্য্য অনুৰূপে নাম থৈ গ'ল। নামি অহাতকৈ হৰা পোৱা মানুহতহে আপাহ পায়। সেই বেলাৰ পৰা মানুহ মিহলি হ'ল। তাৰে জীয়তি-পুততি মিত্ৰ কৰিলে। পূৰ্ব্বে আহোঁতে তিৰোতা অহা নাই। এতিয়াহে তিৰোতা হ'ল।"[৩]

চুকাফাই আৰম্ভ কৰি যোৱা সংমিশ্ৰণ আৰু সমন্বয়ৰ নীতি অনুসৰণ কৰি পৰৱৰ্তী আহোম স্বৰ্গদেৱসকলে সময়ত কোচ-কলিতাসকলৰ লগতো বৈবাহিক সম্পৰ্ক স্থাপন কৰিলে। তেওঁলোকৰ মিত্ৰতাৰ বান্ধোনত দাঁতি-কাষৰীয়া পাহাৰীয়া জনজাতি যেনে নগা, কাৰ্বি, খাচী, জয়ন্তীয়া, গাৰো, মণিপুৰীসকলো বান্ধ খাই পৰিল। এই সকলো লোকক লৈয়েই আহোম নামৰ জাতিটোৰ সৃষ্টি হ'ল। সেই সম্পৰ্কত হিতেশ্বৰ বৰবৰুৱাই কৈছে

[১] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০০।

[২] ঐ, পৃঃ ১০১; হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ২১।

[৩] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৪; একেখিনি কথা **দেওধাই অসম বুৰঞ্জী**ত (পৃঃ ৯৯) এনেদৰে আছে - "যি চুটিয়া, বৰাহী, মৰাণ ঠায়ে ঠায়ে পাই আহিল, লগত অহাবোৰত কৈয়ো তাৰেহে আপাহ হয়। সেই সময়ৰ পৰা মানুহ মিহলি হ'ল তাৰে জীয়টি পুতটি কৰি; যিহেতু নৰাৰ পৰা আঁহোতে কাৰো তিৰুতা নাই ইঠাইত আহিহে তিৰুতা ললে।"

- "আহোম এটা জাত বা কুলৰ নাম নহয়। কলিতা, কোচ, কেওট বুলিলে যেনেকৈ এজাত মানুহক বুজায়, আহোম বুলিলে পূৰ্বতে ঠিক তেনে নুবুজাইছিল। আহোম এটা সম্প্ৰদায় বা এফৈদ মানুহৰ নাম; এই ফৈদ মানুহৰ মাজত নানা বিধৰ (বা জাতিৰ) মানুহ আছিল। আহোমৰ মাজত যেনেকৈ ৰজা আছিল, তেনেকৈ সেই আহোমৰে ভিতৰত মৰংচোৱা, খৰিভাৰী ইত্যাদিও আছিল। মুঠতে কবলৈ গ'লে আহোম এটা কুলৰ বা জাতৰ নাম নহয়; আৰু সকলোবিলাক আহোমো এক শ্ৰেণীৰ আহোম নহয়। উচ্চ শ্ৰেণীৰ ভদ্ৰ বংশীয় আহোমবিলাকক 'সাতঘৰীয়া আহোম' বোলে। চুকাফা ৰজা স্বৰ্গদেৱে সাতঘৰ প্ৰধান সেৱক লগত লৈ নামি আহিছিল। সেই সাতঘৰকেই সাতঘৰীয়া আহোম বুলিছিল।"[৪] আহোমসকলক আহোম নামটো থলুৱা বৰাহী-মৰাণসকলেহে দিছিল। চুকাফা আৰু তেওঁৰ দলৰ মানুহসকলৰ আতিথ্য আৰু আচৰণত মুগ্ধ হৈ মৰাণ-বৰাহীসকলে কৈছিল - "এতেকে ইহঁত দেও সচৰ মানুহ। ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ। এই ৰূপে ৰাজ্যত কৈ ফুৰোতে অসম নাম খ্যাত হ'ল দেখি, তেতিয়াৰ পৰা ৰজা ও লগত অহা প্ৰজাসকলকো অসম বুলিলে। এই অসমৰে দেশ হল কাৰন অসম দেশ বোলে, ও অহম জাতি বোলে।"[৫]

থলুৱা লোকক নিজ সম্প্ৰদায়ত অন্তৰ্ভূক্ত কৰাৰ ফলত আহোমসকলৰ জনসংখ্যা স্বাভাৱিক গতিতকৈ বেছি বাঢ়িল। লগে লগে তেওঁলোকৰ পৰাক্ৰমো বৃদ্ধি পালে। ১৫২৩-২৪ খ্ৰীঃত চুতীয়া ৰাজ্য জয় কৰাৰ পিছত দিখৌ আৰু দিচাং নদীৰ মাজতে সীমিত হৈ থকা তেওঁলোকৰ সৰু ৰাজ্যখনে এক বিশাল ৰূপ ধাৰণ কৰিলে। ইয়াৰ তিনি বছৰৰ পিছতে কছাৰীসকলক প্ৰথমে ধনশিৰী আৰু পিছত কপিলী নদীৰ পাৰৰ পৰা বিতাড়িত কৰে আৰু বাৰভূঞাসকলকো বশীভূত কৰি আহোমসকল অসমৰ অপ্ৰতিদ্বন্দী অধীশ্বৰ হৈ পৰিল। সোতৰ শতিকাৰ দ্বিতীয় দশকত মোগলৰ লগত আহোমসকলৰ প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ হয়। সেই সংগ্ৰাম ১৬৭১ খ্ৰীঃৰ শৰাইঘাটৰ যুদ্ধ পৰ্যন্ত চলিল। এইখন বুৰঞ্জী প্ৰসিদ্ধ ৰণত লাচিত বৰফুকনৰ নেতৃত্বত অসমীয়া সেনাই মোগলক বিষম ৰূপে ঘটুৱাই মানাহ নদী অসম ৰাজ্যৰ পশ্চিম সীমা নিৰ্দ্ধাৰিত কৰিলে। ইয়াৰ পিছত বঙ্গ দেশৰ নবাব আজম্ চাহ (আজম্ তাৰা)-এ কিছু দিনৰ কাৰণে গুৱাহাটী অধিকাৰ কৰিছিল যদিও ১৬৮১ খ্ৰীঃৰ ইটাখুলি যুদ্ধত পৰাজয় বৰণ কৰি গুৱাহাটী এৰি দিবলৈ বাধ্য হয়। ইয়াৰ লগে লগে আহোম-মোগল সংঘৰ্ষৰো পৰিসমাপ্তি ঘটিল।

ভাৰত বিজয়ী প্ৰৱল প্ৰতাপী মোগলসকলৰ আক্ৰমণ প্ৰতিহত কৰিব লগা হোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো অধিবাসীৰ মাজত এক ঐক্যৰ ভাব জাগি উঠিছিল আৰু ক্ষুদ্ৰ জাতিসত্বাৰ উৰ্দ্ধলৈ গৈ তেওঁলোকে এটা বৃহৎ জাতিসত্বাৰ কথা চিন্তা কৰিব পাৰিছিল।

[৪] হিতেশ্বৰ বৰবৰুৱা, আহোমৰ দিন, পৃঃ ৫০৪।

[৫] হৰকান্ত বৰুৱা সদৰামিন, অসম বুৰঞ্জী, পৃঃ ১৩।



অসম ৰাজ্যৰ প্ৰজাসকলৰ বাদেও মোগল অধিকৃত কোচ-হাজো বা কামৰূপৰ ৰাণী, লুকী, বেলতলা, ডিমৰুৱা আদি সৰু সৰু জনজাতীয় ৰজাই স্ব-ইচ্ছাই আহোম স্বৰ্গদেৱ প্ৰতাপ সিংহক তেওঁলোকৰ ৰজা বুলি মানি লৈছিল আৰু তেওঁৰ নেতৃত্বতে মোগলক বিতাড়িত কৰিবলৈ সকলোটি একত্ৰিত হৈছিল। প্ৰতিৰক্ষাৰ স্বাৰ্থত গঢ়ি উঠা এই ঐক্য ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমগ্ৰ অধিবাসীৰ মাজত বহু কাললৈকে বৰ্তি আছিল। সেই পটভূমিতে অসম নামৰ এখন উমৈহতীয়া জন্মভূমি আৰু অসমীয়া নামৰ এটা বৃহৎ জাতিসত্বাৰ চেতনা অঙ্কুৰিত হৈছিল।[৬] বাস্তৱ অৰ্থত সেই কাৰণে আহোম প্ৰশাসন মানে কেৱল আহোম লোকৰ প্ৰশাসন নাছিল। অসমত বসবাস কৰা আৰু আহোম স্বৰ্গদেৱক নিজৰ ৰজা বুলি মানি লোৱা সকলো লোকৰে আছিল এই শাসন। এই শাসন যন্ত্ৰত আহোম-অনাআহোম সকলো লোককে যোগ্যতা অনুসৰি নিযুক্তি দিয়া হৈছিল। বহু সংখ্যক চুতীয়া লোক এই প্ৰশাসনত বিভিন্ন উচ্চ পদবীৰ দায়িত্বত আছিল। বিভিন্ন বৃত্তি মূলক খেলত তেওঁলোকৰ অন্তৰ্ভূক্তিৰ বাহিৰেও দুই-এটা খেল আছুতীয়াকৈ চুতীয়া লোকেৰে সংগঠিত হৈছিল।

আহোম শাসন ব্যৱস্থাত স্বৰ্গদেৱ অৰ্থাৎ ৰজাই আছিল সৰ্বে-সৰ্বা। তেওঁৰ পিছতে আছিল তিনিজনা ডাঙৰীয়া বা মন্ত্ৰী - বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁই। প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনত (১৬০৩-৪১ খ্ৰীঃ) মোগল আক্ৰমণৰ পৰিপ্ৰেক্ষিতত বৰফুকন আৰু বৰবৰুৱা নামৰ দুটা পদবী সৃষ্টি কৰা হৈছিল। বৰফুকন আছিল নামনি অসমৰ শাসনকৰ্তা। প্ৰথমতে কলিয়াবৰত তেওঁৰ কাৰ্যালয় আছিল। মোগলৰ হাতৰপৰা কামৰূপ অৰ্থাৎ নামনি অসম অধিকাৰ কৰাৰ পিছত গুহাৱাটীত তেওঁৰ কাৰ্যালয় স্থাপন কৰা হৈছিল। বৰবৰুৱা আছিল উজনি অসমৰ মুখ্য কাৰ্যবাহী বিষয়া। বৰফুকন আৰু বৰবৰুৱাৰ স্থান তিনিজনা গোহাঁইৰ পিছতে আছিল।

প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনতে দেশৰ প্ৰতিৰক্ষা আৰু উৎপাদন ব্যৱস্থা নিয়াৰিকৈ চলোৱাৰ অৰ্থে পাইক প্ৰথা প্ৰৱৰ্তন কৰা হ'ল। এই ব্যৱস্থাত প্ৰজা সাধাৰণ বা পাইকসকলে দেশৰ শান্তিপূৰ্ণ অৱস্থাত শ্ৰমিক আৰু যুদ্ধ কালীন অৱস্থাত সৈনিক হিচাবে গা-খাটি দিব লাগিছিল। বিশজন পাইকৰ ওপৰত এজন বৰা, এশজনৰ ওপৰত এজন শইকীয়া, এহেজাৰজনৰ ওপৰত এজন হাজৰিকা আৰু ছয়হেজাৰ জনৰ ওপৰত এজন ফুকন নিযুক্ত কৰা হৈছিল। বাধ্যতামূলক গা-খাটনিৰ পৰা ৰেহাই পোৱা পাইকসকলক 'চমুৱা' বোলা হৈছিল। তেওঁলোকৰ মাজৰপৰা বৰা, শইকীয়া, হাজৰিকা, তামুলী আদি পদত নিযুক্তি পাইছিল। কোনো কোনো অঞ্চলত একোখন স্থানীয় খেল পতা হৈছিল আৰু ঠাইখনৰ নাম অনুসৰি এইবোৰ খেলৰ নামকৰণ কৰা হৈছিল। এনেকুৱা খেলত বিভিন্ন বৃত্তিৰ

[৬] বিস্তৃত বিৱৰণৰ বাবে চাওক, S. L. Baruah, A Comprehensive History of Assam, pp. 253 254.

পাইকসকল একেলগে বাস কৰিছিল। আনহাতে কিছুমান খেল একে বৃত্তিৰ বা জীৱিকাৰ পাইকেৰে গঠন কৰা হৈছিল।

আহোমসকলে কোনো পদত কোনো লোকক নিযুক্তি দিওঁতে তেওঁৰ যোগ্যতাৰ ওপৰত গুৰুত্ব দিছিল, ফলত বহু সময়ত চুতীয়াসকলকে ধৰি অনা-আহোম লোকেও বৰা, শইকীয়া, তামুলী, পাচনি আদি সৰু-সুৰা পদবীৰ বাহিৰেও কেতিয়াবা উচ্চ বা দায়িত্বশীল পদতো নিযুক্তি পাইছিল।

আহোম প্ৰশাসনত স্বৰ্গদেৱৰ পিছতেই তিনিজনা ডাঙৰীয়াৰ স্থান আছিল বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। তিনিজনা ডাঙৰীয়াৰ পদবী আহোমৰ বাহিৰে অন্য জাতিৰ লোকক দিয়া নহৈছিল কিন্তু তাৰ ব্যতিক্ৰম নোহোৱাকৈ থকা নাছিল আৰু দুই-এজন চুতীয়া লোকেও এই সন্মান লাভ কৰাৰ সৌভাগ্য ঘটিছিল। যথা, আহোম ৰাজত্বৰ শেষৰফালে মানসকলে সৃষ্টি কৰা দুৰ্যোগৰ কালত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ ১৮১৭ খ্ৰীঃত যেতিয়া পুনৰ সিংহাসনত বহিছিল, তেতিয়া তেওঁ মটক ৰাজ্যৰ চুতীয়া ৰজা সৰ্বানন্দ সিংহৰ ভাতৃ কলিবৰক বুঢ়াগোহাঁই পদত নিযুক্তি দিছিল।[৭] ইয়াৰ অৱশ্যে যুক্তি-সঙ্গত কাৰণো আছিল। মটক ৰাজ্যৰ ৰজাই মানসকলৰ লগত এটা বুজাপৰালৈ অহাৰ কাৰণে মানসকলে মটক ৰাজ্যত উপদ্ৰৱ কৰা নাছিল। গতিকে মানসকলৰ লগত ভাল সম্পৰ্ক থকা কলিবৰক বুঢ়াগোহাঁই পাতিলে চন্দ্ৰকান্ত সিংহই তেওঁৰ ৰাজ্যৰ বিপদ নহ'ব বুলি ভাবিছিল। ১৮২১ খ্ৰীঃত মানসকলে তৃতীয়বাৰৰ কাৰণে অসম আক্ৰমণ কৰাত চন্দ্ৰকান্ত সিংহই ভয় খাই কলিবৰৰ বুঢ়াগোহাঁইৰ হাতত শাসন ভাৰ এৰি গুৱাহাটীলৈ পলাই গৈছিল।[৮] মান সেনাপতি মিঙ্গিমাহা তিলোৱাই চন্দ্ৰকান্ত সিংহক যোৰহাটলৈ ঘূৰি আহিবলৈ অনুৰোধ জনাই তেওঁৰ ওচৰলৈ কটকী পঠাইছিল কিন্তু চন্দ্ৰকান্ত সিংহ ঘূৰি নহাত মান সেনাপতিজনে কলিবৰ বুঢ়াগোহাঁইকে ধৰি কেইবাজনো উচ্চপদস্থ বিষয়াক হত্যা কৰিলে।[৯]

কোনো চুতীয়া অথবা অনা-আহোম লোকক বৰগোহাঁই পদত অধিষ্ঠিত কৰাৰ কথা জনা নেযায়। কিন্তু, বৰপাত্ৰগোহাঁইৰ পদত চুতীয়াসকলৰ সমগোত্ৰীয় মৰাণসকলৰ দুজন লোকে নিযুক্তি পাইছিল।[১০] এওঁলোকৰ প্ৰথমজনৰ নাম আছিল লাকু। স্বৰ্গদেৱ প্ৰতাপসিংহই তেওঁৰ ৰাজত্বৰ শেষৰফালে লাকুক বৰপাত্ৰগোহাঁই পদত অধিষ্ঠিত কৰিছিল আৰু থক্‌বক্ বুঢ়াগোহাঁইৰ মৃত্যুৰ পিছত তেওঁকে ৰাজমন্ত্ৰীৰ দায়িত্ব দিছিল।[১১] চুনিৎফা (১৬৪৪-৪৮) নৰিয়া ৰজাৰ ৰাজত্বকালৰ প্ৰথম ভাগলৈকে লাকু এই পদত আছিল।

---

৭ **অসমৰ পদ্য বুৰঞ্জী**, পৃঃ ১৬২; **আহোমৰ দিন**, পৃঃ ৩১৪।

৮ **আহোমৰ দিন**, পৃঃ ৩১৬।

৯ ঐ, পৃঃ ৩২১।

১০ কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ২৩।

১১ কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৩০; **Ahom Buranji**, p.95.



লাকু বৰপাত্ৰগোহাঁই মায়ামৰা সত্ৰৰ শিষ্য আছিল। মায়ামৰীয়াসকলে নিজৰ গুৰুৰ বাহিৰে আন কাৰো ওচৰত মূৰ নোদোঁৱাইছিল বুলি জানি প্ৰতাপসিংহই এই সত্ৰৰ চাৰিজন শিষ্যক তেওঁলোকৰ ডিঙিৰ বিপৰীতে তৰোৱাল পাতি ঘোঁৰা চেঁকুৰাই যাবলৈ আদেশ দিছিল। এই চাৰিজনৰ ভিতৰত বৰগোহাঁই গুইমেলা, আৰু বৰপাত্ৰ গোহাঁই লাকুও আছিল। সেই ভয়ঙ্কৰ পৰীক্ষাত যেতিয়া তেওঁৰ বৰগোহাঁই আৰু এজন নেওগ ফুকনে প্ৰাণ হেৰুৱালে, তেতিয়া ৰজাই লাকু বৰপাত্ৰগোহাঁই আৰু তেওঁৰ সঙ্গীজনক সেই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰপৰা বাৰণ কৰিলে।[১২] দীৰ্ঘকাল ধৰি বৰপাত্ৰগোহাঁই তথা ৰাজমন্ত্ৰীৰ দায়িত্বত থকা লাকু যে অতি বিচক্ষণ বিষয়া আছিল সেইকথা সহজে অনুমান কৰিব পাৰি। বৰপাত্ৰগোহাঁই পদ অলংকৃত কৰা মৰাণসকলৰ দ্বিতীয়জন লোকৰ নাম আছিল ফেদেলা। মোৱামৰীয়া বিদ্ৰোহীৰ হাতৰপৰা ৰাজ্য পুনৰ উদ্ধাৰ কৰি স্বৰ্গদেৱ লক্ষীসিংহই (১৭৬৯-১৭৮০ খ্ৰীঃ) যেতিয়া নতুনকৈ বিষয়া নিযুক্তি দিছিল তেতিয়া তেওঁ ফেদেলাক এই পদত অধিষ্ঠিত কৰিছিল।[১৩]

আহোম শাসন যন্ত্ৰৰ প্ৰথমজনা বৰফুকন লাঙি পানীসিয়া চুতীয়া জাতিৰ লোক আছিল। ১৬১৭ খ্ৰীঃত হোৱা প্ৰথম আহোম-মোগল সংঘৰ্ষত মোগলৰ হাতত পৰাজয় বৰণ কৰি পলাই অহা সৈন্যবিলাকক সংগঠিত কৰি লাঙি পানীসিয়া প্ৰতাপসিংহ স্বৰ্গদেৱৰ বিশ্বাসভাজন হৈ পৰাত তেওঁ দায়িত্বশীল পদত নিযুক্তি লাভ কৰিছিল। এই কথা **পুৰণি অসম বুৰঞ্জীত** এনেদৰে আছে - 'আৰু বুঢ়া ৰজাদেৱৰ দিনত চাউকাং বাণ্ডুক গোহাঞিয়ে ছুটিয়াৰ গাঞো মাৰি অটি মানুহ আনিলে। বড় গোহাঞে তাক বেথাকৈ লগত লৈ ফুৰাইছিল। পাচে সেই ছুটিয়াক মহাৰাজা আনি লগত ললে নি। তাক কাৰ্য্য কামত ভাল পাই ৰজা দেৱে নাম দিলে হন হন পাতৰ। চুহুম ৰজাৰ দিনত তুৰবকৰ যুদ্ধত আপাহ পাই তাৰ নাম দিলে লুকতুদুঙ্গ। খোৰা ৰজা দেৱৰ দিনত তাৰ পৰিনাতিৰ আপাহ পাই নাম দিলে হাৰিধং দুৰৱা। বুঢ়া ৰজা দেৱৰ দিনত জইখামডাং খাতলৈ ৰজাদেও যাঞোতে এয়ে শিয়ালৰ মাতে মাতি শিয়াল ধৰিলে। পাছে ৰজাদেৱে ৰং পাই বোলে ই শৃকালি হে। সেই মাতে তাৰ নাম ৰল শৃকালি। ইয়াৰ পুতেক নাতিয়ক কলিয়াবৰত পানীসিয়া পাতি ৰণকপ্ নাম লৈ আছিল। পাচে এয়ে বুঢ়া ৰজাৰ দিনত হাজোৰ তলয়াৰ যুদ্ধৰ পাচৰ পৰা নাম ললে লাঙ্গি বড়ফুকন। কুলত ই ছুটিয়া।'[১৪] হিতেশ্বৰ বৰবৰুৱাৰ **আহোমৰ দিন** নামৰ গ্ৰন্থত লাঙি পানীসিয়াক বৰফুকন নিযুক্তি দিয়াৰ কথা এনেদৰে কোৱা হৈছে - 'পাচে লাঙ্গি পানীসিয়া আহি স্বৰ্গদেৱত সেৱা কৰিলেহি আৰু বোলে, ৰণ পলৰীয়া

---

১২ চিদানন্দ গোস্বামী, **শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ চৰিত্ৰ আৰু মায়ামৰা সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী**, তিনিচুকীয়া, ১৯৩৩, পৃঃ ৪৭-৪৮।

১৩ **তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ ৭০; **আহোম বুৰঞ্জী**, পৃঃ ৩০৭।

১৪ **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৩১।

সেইবিলাক আজিও প্ৰায় অক্ষত অৱস্থাত আছে। কিন্তু স্থানীয়ভাৱে টান শিলৰ অভাৱত যিবিলাক ভাস্কৰ্য কোমল শিলত কটা হৈছিল সেইবিলাক ক্ষয়প্ৰাপ্ত হৈছে আৰু সেইবিলাকৰ নক্সাবোৰ চিনিব নোৱৰাকৈ নোহোৱা হৈ পৰিছে।

ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়োটা উপত্যকাত কৃষিয়েই আছিল জনসাধাৰণৰ প্ৰধান জীৱিকা। আহু আৰু বাও ধানৰ উপৰি অনেক ঠাইত শালি খেতি কৰা হৈছিল। **কালিকা পুৰাণ** আৰু **যোগিনীতন্ত্ৰ**ৰ বাহিৰেও আহোম যুগৰ বুৰঞ্জীসমূহত বিভিন্ন প্ৰকাৰৰ শালি ধানৰ নাম উল্লেখ আছে। অসমৰ হাবিত শাল, বনচোম, তিতাচপা, সোণাৰু, গমাৰি, অমাৰি, চেগুন, বোলা (ভোলা), চেচু, হলঙ্গ, চাম, গন্ধসৰৈ, শলখ, সৰল, অগৰু আদি না না বিধ মূল্যবান কাঠৰ গছ পোৱা যায়। ব্ৰহ্মপুত্ৰৰ সাৰুৱা উপত্যকাত প্ৰচুৰ পৰিমাণৰ বিভিন্ন জাতৰ বেত আৰু বাঁহগছো উৎপন্ন হয়। অসমৰ মানুহৰ থকা ঘৰৰ উপৰি ঘৰুৱা সকলো আচবাব আৰু দৈনন্দিন জীৱনৰ আৱশ্যকীয় সামগ্ৰী কাঠ-বাঁহেৰেই প্ৰস্তুত কৰা হৈছিল। অসমৰ সংস্কৃতিক সেইকাৰণেই কাঠ-বাঁহৰ সংস্কৃতি বোলা হয়। অসমৰ অৰণ্যাঞ্চল বনৰীয়া হাতী, বাঘ, এটা খৰ্গৰ গঁড়, ম'হ, সুগৰি পহু, বিভিন্ন প্ৰকাৰৰ চৰাই-চিৰিকতি আদিৰে ভৰা। পৃথিৱীৰ বৃহত্তম অভয়াৰণ্য কাজিৰঙা অসমত অৱস্থিত। এই কাজিৰঙা আৰু লগতে মানাহ অভয়াৰণ্যই আজি দেশ-বিদেশৰ পৰ্যটকসকলক আকৰ্ষণ কৰিব পাৰিছে।

অসমৰ মাটিত প্ৰাচীন কালতো বহুবিধ খনিজ পদাৰ্থ পোৱা গৈছিল। অসমৰ বিভিন্ন নদীৰ বালি ধুই সোণ কমোৱা হৈছিল। চুতীয়া ৰাজ্যৰ অন্তৰ্গত সোৱণশিৰী নদীত প্ৰচুৰ পৰিমাণৰ সোণ পোৱা গৈছিল। দৈয়াং আৰু লগতে চুতীয়া ৰাজ্যৰ অন্তৰ্গত জয়পুৰ, তিৰুৎ, তিপাম আদিত লোৰ আকৰ আছিল। অসমত লো উৎপন্ন হোৱাৰ কথা গ্ৰীক ঐতিহাসিক প্লিনি(Pliny)ৰ টোকাতো পোৱা যায়।[৮] বৰহাট, জয়পুৰ, সদিয়া আদি ঠাইত লোণৰ পুং আছিল।[৯] এই ঠাইবোৰো চুতীয়া ৰাজ্যৰ ভিতৰতে আছিল।

প্ৰকৃতিয়ে অসমক এফালে যেনেকৈ সমৃদ্ধিশালী আৰু শুৱনি কৰিছে, আনফালে তেনেকৈ নানা প্ৰকাৰৰ দুৰ্যোগৰো বলি কৰিছে। পাহাৰবোৰত কয়লা, লো, চূণশিল আদি খনিজ পদাৰ্থৰ স্তৰীভূত অৱস্থিতিৰ বাবে অসমত সঘনে ভূমিকম্প হৈ থাকে। ১৫৪৮, ১৫৯৬, ১৬০৭, ১৬৪৯, ১৬৯১, ১৬৯৬, ১৭৩৫, ১৭৫৯, ১৭৮০, ১৮৯৭, ১৯৫০ খ্ৰীঃত হোৱা প্ৰলয়ঙ্কাৰী ভূমিকম্পৰ কথা বুৰঞ্জীত উল্লেখ আছে। বহুকেইটা ভূমিকম্পৰ লগতে প্ৰৱল বানপানী হৈছিল। বৰ ধল আৰু প্ৰৱল ভূমিকম্পৰ ফলতে ঐতিহাসিক

---

[৮] cf. P.C. Choudhury, **The History of Civilization of the People of Assam to the Twelfth Century A.D.**, Guwahati, 1966, p. 348.

[৯] **Imperial Gazetteer of India, East Bengal and Assam, 1909**, p. 81; সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, যোৰহাট, ১৯৮০, পৃঃ ২৪৫।



চুতীয়া ৰাজ্যৰ ৰাজধানী সদিয়া বা সধয়াপুৰী আৰু ইয়াত থকা কীৰ্তিচিহ্নবোৰ সম্পূৰ্ণ নিচিহ্ন হোৱাৰ লগতে অন্যান্য বহু ঠাইত থকা প্ৰত্নতাত্ত্বিক নিদৰ্শনবোৰৰো বহুলাংশ বিলুপ্ত হ'ল।

অসমৰ সভ্যতা-সংস্কৃতিৰ স্বাক্ষৰ বহন কৰি আছে বিশাল ব্ৰহ্মপুত্ৰ নদে। হিন্দু শাস্ত্ৰৰ মতে, এই নদৰ উৎপত্তি ব্ৰহ্মকুণ্ড নামৰ এটা পবিত্ৰ কুণ্ড। এই কুণ্ড চুতীয়া ৰাজ্যৰ অন্তৰ্গত ভূখণ্ডত অৱস্থিত আছিল। প্ৰকৃততে ব্ৰহ্মপুত্ৰৰ প্ৰকৃত উৎস হ'ল হিমালয়ৰ কৈলাস পৰ্বতমালাৰ হিমপ্ৰবাহ। এই হিমপ্ৰবাহ দক্ষিণ-পশ্চিম তিব্বতৰ ৫,৩০০ মিটাৰ উচ্চতাত অৱস্থিত ৰেকি কনগায়ন-চ' (Rake Kanggyen Tso) হ্ৰদৰ দক্ষিণত।[১০] হিমপ্ৰবাহৰপৰা তিব্বতৰ মাজেৰে পূবলৈ বৈ আহোঁতে এই নদীয়ে কেইবাটাও নাম লৈছে যদিও ইয়াৰ প্ৰধান নাম হ'ল চাংপু (Tsangpo)। চীনদেশৰ মেপত এই নদীৰ নাম য়াৰ্লু চাংপু-ব্ৰহ্মপুত্ৰ (Yarlu Tsangpo-Brahmaputra)।[১১] চীনদেশৰপৰা দক্ষিণলৈ গতি কৰি ভাৰতত সোমোৱাৰ পিছত অৰুণাচল প্ৰদেশত এই নদীয়ে চিয়াং আৰু অসমত দিহাং নাম লৈছে। অসমত এই নদীয়ে দিবাং আৰু লুইতৰ লগ লাগি লৌহিত্য, লোহিত, লুইত বা ব্ৰহ্মপুত্ৰ নাম লৈ ইয়াৰ সমতল ভূমিৰ মাজেৰে পশ্চিমলৈ বৈ গৈ গাৰো পাহাৰৰ পশ্চিমে দক্ষিণলৈ গতি কৰি বাংলাদেশত সোমাই যমুনা নাম লৈছে। ইয়াতেই গুৱালন্দৰ ওচৰত পূবলৈ বৈ অহা উত্তৰ ভাৰতৰ অন্যতম প্ৰধান নদী গঙ্গাৰ লগ লাগি ই পদ্মা নামেৰে পৰিচিত হৈছে। পদ্মাই দক্ষিণ-পূবমুৱা হৈ ৯০ কিঃমিঃ আগবাঢ়ি সুৰমা আৰু কুশীয়াৰা নদীয়ে সৃষ্টি কৰা মেঘনা নৈৰ লগলাগি সেই নামেৰেই বঙ্গোপসাগৰত পৰিছে। ব্ৰহ্মপুত্ৰৰ মুঠ দৈৰ্ঘ ২৮৮০ কিঃ মিঃ।[১২] ইয়াৰে ১৬২৫ কিঃ মিঃ চীন দেশত ৯১৮ কিঃ মিঃ ভাৰতত আৰু ৩৩৭ কিঃ মিঃ বাংলাদেশ ভিতৰত পৰিছে। বাৰিষা কালত ফেনে-ফোটোকাৰে ওফন্দি পৰি সমতল ভূভাগত এই নদীখন সাগৰসদৃশ হৈ পৰে।

যিহেতুকে চুতীয়া ৰাজ্যৰ ঐতিহ্য অতি পুৰণি সেইহেতু ইয়াৰ প্ৰকৃত অধ্যয়নৰ বাবে পুৰণি অসমৰ ঐতিহাসিক, ভৌগোলিক অৱস্থানৰ এটা থূলমূল আভাসৰ প্ৰয়োজন। পুৰণি অসমৰ নাম আছিল প্ৰাগ্‌জ্যোতিষ্। বাণীকান্ত কাকতিৰ মতে, **প্ৰাগ্‌জ্যোতিষ** শব্দটো অষ্ট্ৰিক ভাষাৰ **পাগৰ-জো-টিক্** শব্দৰ সংস্কৃত ৰূপ। ইয়াৰ অৰ্থ 'বিস্তীৰ্ণ পাহাৰীয়া অঞ্চল'।[১৩] ধ্ৰুপদী সাহিত্যত ইয়াক প্ৰাচ্যৰ জ্যোতিষ চৰ্চাৰ ঠাই বুলি উল্লেখ কৰিছে আৰু সূৰ্যপূজাৰ দেশ হিচাপে পবিত্ৰ স্থান বুলি জ্ঞান কৰা হৈছে।[১৪] **কালিকা পুৰাণ**ৰ মতে এই

---

[১০] A.K. Dutta, **The Brahmaputra**, New Delhi, 2001, p. 1.

[১১] *ibid.*

[১২] *ibid.*

[১৩] B. K. Kakati, **The Mother Goddess Kamakhya**, Guwahati, 2004, p. 6.

[১৪] Choudhury, op.cit, p.27

মানুহ বান্দীয়েহে চপাই লৈ আহিছোঁ। মহাৰাজা বোলে, মোৰ লগত সেনাপতি নাই, সকলো গা-গোটা। এই নিমিত্তেহে মোৰ সকলো লোকজন এৰি আহিলে। লাঙ্গি পানীসিয়া যাতো মোৰ লোকজনক চপাই আনিলে, তেহে আহিব পাৰিলোঁ। এই আপাহতে, লাঙ্গি পানীসিয়াক সোনৰ খাৰু, সোনৰ টেমি দি বৰফুকন পাতিলে। সেই দিনৰ পৰাহে বৰফুকন বিষয় চলিল।'[১৫]

স্বৰ্গদেৱ প্ৰতাপসিংহই লাঙি পানীসিয়া বৰফুকনক পাণ্ডুৰ থানাদাৰ তথা মোগল বাহিনীৰ অধিনায়ক সত্ৰাজিতক ধৰি আনিবলৈ আদেশ কৰিছিল। কিন্তু লাঙি পানীসিয়াই সেই কাম নিষ্ঠাৰে পালন কৰিব নোৱাৰাত স্বৰ্গদেৱে মোগলৰ লগত তেওঁৰ অভিসন্ধি আছে বুলি সন্দেহ কৰি তেওঁক বন্দী কৰি অনাহাৰে ৰাখি মাৰিলে।[১৬]

লাঙি পানীসিয়াৰ পিছত প্ৰতাপসিংহই অভয়পুৰীয়া নেওগক বৰফুকন পাতিছিল।[১৭] এইজনা বৰফুকন লানমাখ্ৰু ফৈদৰ আছিল। লানমাখ্ৰু ফৈদৰ উৎপত্তিৰ বিষয়ে হিতেশ্বৰ বৰবৰুৱাই এই বুলি কৈছে - "পূৰ্ব্বে চুকাফা ৰজা নামি আহোঁতে তিপামত ৰওঁতে 'খোঙ্গ' নামে মৰাণ মানুহ এঘৰ পালে। তাৰ পুতেকৰ ঘৰত 'চুবিনফা' ৰজাদেৱে বহুত যাঠি-দা পালে। আহোম মাতেৰে 'খিম্‌তৰ' মানে দা; 'খেঙ্গাৰু' মানে যাঠি; সেই হেতুকে এই ঘৰৰ নাম 'খিম্‌তৰ খেঙ্গাৰু' দিলে। পূৰ্ব্বে তিপামতে চুকাফা ৰজাক এক মৰাণে বেঙ্গেনা যোগাইছিল। আহোম কথাৰে বেঙ্গেনাক 'মক্‌খু' বোলে। সেই মানুহ ঘৰে চুতেউফা ৰজাৰ দিনত নগাৰ যুঁজত আগৰণুৱা হৈ ফুৰিছিল। সেই আপাহতে চুব্‌নিফা ৰজাদেৱে সিহঁতক 'লানমাখ্ৰু' নাম দিলে।"'[১৮] **পুৰণি অসম বুৰঞ্জী**ত পোৱা যায় - "আৰু চুকাফা মহাৰাজা নামি আহি তিপামত আছোতে এক মৰাণে ৰজাক বেঙ্গেনা যোগাইছিল। আহম মাতেৰে বেঙ্গেনাক মাখ্ৰু বোলে। সেই মৰাণে নগাৰ যুদ্ধত নগাক আগভেটি ৰাখিলে। এই আপাহতে কানগণ বড় গোহাঞিৰ হাতত দি নাম দিলে নামমাখ্ৰু। কুলত এই ঘৰ মৰাণ।" এই বিৱৰণৰপৰা স্পষ্ট হয় যে আহোমসকলৰ লানমাখ্ৰু ফৈদৰ আদিপুৰুষজন আছিল এজন মৰাণ লোক আৰু মৰাণসকল আছিল চুতীয়াৰ সমগোত্ৰীয়।

অভয়পুৰীয়া নেওগ বৰফুকনে মোগলৰ বিৰুদ্ধে হোৱা যুদ্ধত বীৰত্ব প্ৰদৰ্শন কৰিছিল (১৬৩৩ খ্ৰীঃ)। তেওঁ বৰফুকন হৈ থকা কালতে কোচ ৰজা পৰীক্ষিতৰ কনিষ্ঠ পুত্ৰ চন্দ্ৰনাৰায়ণে কটকী পঠিয়াই বৰফুকনলৈ বাতৰি দিয়ালে যে পাণ্ডুৰ থানাদাৰ সত্ৰাজিতে তেওঁক ধৰিবলৈ বিচাৰিছে। নেওগ বৰফুকনে তুৰন্তে এই বাৰ্তা প্ৰতাপসিংহলৈ প্ৰেৰণ কৰিলে। প্ৰতাপসিংহই তেতিয়া চন্দ্ৰনাৰায়ণলৈ বুলি বহুখিনি উপহাৰ আৰু লগত দুহেজাৰ

[১৫] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ১০২।

[১৬] **অসম বুৰঞ্জী**, সুকুমাৰ মহন্তৰ ঘৰত পোৱা পৃঃ ৫৬; **কামৰূপৰ বুৰঞ্জী**, পৃঃ ৩১; **আহোম বুৰঞ্জী**, পৃঃ ১১০।

[১৭] হৰকান্ত বৰুৱা সদৰামিন, **অসম বুৰঞ্জী**, পৃঃ ৩৯।

[১৮] **আহোমৰ দিন**, পৃঃ ২৬।



মানুহ দি কমললোচন কটকীক বৰফুকনৰ ওচৰলৈ পঠালে। নেওগ বৰফুকনে প্ৰতাপসিংহৰ দিহা মতে সমস্ত উপহাৰ চন্দ্ৰনাৰায়ণলৈ পঠিয়াই দিলে। ইয়াৰ কিছুদিন পিছতে মোগলে শৰাইঘাট আক্ৰমণ কৰে কিন্তু তেওঁ নেওগ বৰফুকনৰ লগত যুদ্ধত হাৰি উভতি যাবলৈ বাধ্য হৈছিল। নেওগ বৰফুকনে অমৰাজুৰিৰ বৰশিলত উঠি উভতি যোৱা মোগল সৈন্যবিলাকক চাই থাকোঁতে শত্ৰুপক্ষৰ গুলী লাগি তেওঁৰ মৃত্যু হয়।[১৯] অভয়পুৰীয়া নেওগ বৰফুকনৰ মৃত্যুত ফুকন ৰাজখোৱাসকলে আলোচনা কৰি লানমাখ্ৰু চেতিয়াক 'নগৰৰপৰা এজন নাহে মানে তেৱেঁই পালিপাচি থাকক' বুলি বৰফুকনৰ ভাৰ দিলে। স্বৰ্গদেৱেও 'সকলোৰে বাক্য ৰাখি লানমাখ্ৰু চেতিয়াক বৰফুকন পাতিলে।'[২০]

মোগলক ভেটা দিয়াত হেমাহি কৰাৰ বাবে দায় ধৰি প্ৰতাপসিংহই তেওঁক বিষয় ভাঙি বুঢ়াগোহাঁই পৰীয়া সৰুচকুৱা গোহাঁইক নিযুক্তি দিছিল যদিও বাত্ ৰোগত সেইজনা বৰফুকন আক্ৰান্ত হোৱাত প্ৰতাপসিংহই পিক্‌চাই চেতিয়াকে পুনৰ বৰফুকন পাতি ব্ৰহ্মপুত্ৰৰ দক্ষিণ কুল অৰ্থাৎ দক্ষিণ পাৰৰ সেনাপতিৰ দায়িত্ব দিলে। চুনিৎফা নৰিয়া ৰজাৰ (১৬৪৪-৪৮ খ্ৰীঃ) দিনলৈকে তেওঁ এই পদত অধিষ্ঠিত আছিল।

চেতিয়া ফৈদৰ পূৰ্বপুৰুষসকল চুতীয়া, বৰাহী বা কছাৰী আছিল বুলি জনা যায়। সেই সম্পৰ্কে হিতেশ্বৰ বৰবৰুৱাই এই বুলি লিখিছে - 'পূৰ্ব্বে চুকাফা ৰজাই যি বৰাহী, মৰাণ পালে, থামিথুমা (থাকুম্‌থা), থকুন্‌থনা, এইজনা ৰজাই তাৰে নাতি-পুতিক চৰগুৱা, মাইবেলা, দিহিঙ্গ, জাঁজী, বাঘচোং আদি আনো ঠায়ে ঠায়ে পাতিলে। আৰু বোলে, বৰাহী, মৰাণ, চুটিয়া, কছাৰী, লুখৰাখন, ইহঁতৰ যি ভাল মানুহ হয়, তাহাঁতৰ নাম নাকাঢ়িব চেটিয়া বুলিব। আৰু পূৰ্ব্বে যে আমাৰ নাম হৰাল, ন-পুৰণি মিহলি হ'ল, চেতিয়া জনাবোৰতে চিন কৰক। এইবুলি বৰাবুৰুকত মাততে চিন ৰাখিব দিলে।'[২১]

স্বৰ্গদেৱ জয়ধ্বজ সিংহই (১৬৪৮-১৬৬৩ খ্ৰীঃ) মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ বাদুলিক ৰজাশহুৰ নাম দি বৰফুকন আৰু তেওঁৰ ভায়েকক নাওবৈচা ফুকন পাতিছিল। তেওঁলোক লুখুৰাখন ফৈদৰ আছিল। এই ফৈদৰ উৎপত্তি সম্পৰ্কে হিতেশ্বৰ বৰবৰুৱাই এইবুলি লিখিছে - "মাউত ফমকিন্ আৰু বৰাহীৰ কালুঙ্গবড়া, ইহঁতৰে বহুত সন্ততি হ'ল। ৰজাদেৱে পাই (চুবিন্‌ফা) সিহঁতকে লুখুৰাখন বুলিলে। সিহঁতৰ যি ছোৱালী নিয়ে, সিহঁতেও ল'ৰা হ'লে, লুখুৰাখনলৈ দিব লাগে। আৰু যদি ছোৱালী হয়, ৰজাৰ ঘৰত সেটোকৈ দিব লাগে। এই নিৰ্বন্ধ কৰিলে। লুখুৰাখনে ৰজাৰ শৱ ৰুঙ্গডাঙ্গ' ঘৰৰ তললৈ নিব লাগে। আৰু ৰজাদেৱে সিহঁতকেহে সততে সাজ খাবলৈ মাতে। এতেকেহে বহুত মানুহ লুখুৰাখনৰ খেলত সোমাল। লুখুৰাখনো বিস্তৰ হ'ল। গাম এঘৰ, লখাই এঘৰ,

[১৯] **অসম বুৰঞ্জী**, পৃঃ ৫৭।

[২০] ঐ, পৃঃ ৫৭-৫৮।

[২১] **আহোমৰ দিন**, পৃঃ ৫৬-৫৭।

মুংপুংবন্তি এঘৰ, হাঠাই ঠাকুৰ এঘৰ, ৰখাম এঘৰ, বৰকুমাৰ এঘৰ; এই ছঘৰ মানুহ বৰাহী, পূৰ্ব্বে চুকাফা ৰজা নামি আহোঁতে পৰ্ব্বতত পাই অনা। ৰজাদেৱে ইহঁতৰ এঘৰক কুকুৰাচোৱা ফৈদত দিলে, এঘৰক বেজভঁৰালী পাতিলে।"[22] সৰ্বানন্দ ৰাজকুমাৰৰ মতে লুখুৰাখন সাতঘৰীয়া আহোমৰ ভিতৰত অৰ্ন্তভূক্ত নহয়।[23] যিহেতু লুখুৰাখন ফৈদৰ আদি পুৰুষজন বৰাহী-চুতীয়া আছিল আৰু এই ফৈদত বৰাহী লোকৰে প্ৰাধান্য আছিল, সেইবাবে চুতীয়াসকলে মোমাই-তামুলী বৰবৰুৱা আৰু তেওঁৰ পুত্ৰ লাচিত বৰফুকনক চুতীয়া জাতিৰ লোক বুলি দাবী কৰে।*

মিৰজুম্লাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে (১৬৬২ খ্ৰীঃ) বাদুলি বৰফুকনে মোগলক তেওঁৰ মানুহৰ হতুৱাই ৰাজধানী গড়গাঁৱলৈ যোৱা বাট দেখুৱাই দিছিল আৰু শিলিখাতলতে মিৰজুম্লাৰ শৰণাপন্ন হৈছিল। বাদুলিয়ে মিৰজুম্লাক প্ৰস্তাৱ দিছিল - 'মোক যদি এই ৰাজ্যৰ অধিকাৰ পাতা, ফুকন, বৰুৱা ৰাজ্য সকলোকো মিলাই দিম।'[24] মিৰজুম্লাইয়ো বাদুলিৰ লগত এটা বুজা-পৰালৈ আহি কেকোঁৰা দোলাত তুলি তেওঁক ডেকা ৰজা পাতিছিল। কোনো কোনোৰ মতে বাদুলি ফুকনে মিৰজুম্লাৰ সৈতে গড়গাৱঁত সোমাই ৰাজকাৰেঙো দখল কৰিছিল।[25] ১৬৬৩ খ্ৰীঃৰ জানুৱাৰী মাহত ঘিলাঝাৰী ঘাটত হোৱা সন্ধি অনুসৰি অসমৰ ৰজা জয়ধ্বজ সিংহই মোগলৰ বশ্যতা স্বীকাৰ কৰি বছৰি কৰ সোধাবলৈ মান্তি হয়। সন্ধিৰ অন্তত মিৰজুম্লাৰ লগত অসমৰ পৰা বাৰ হেজাৰ প্ৰজা গ'ল। ইয়াৰে ভিতৰত বাদুলি প্ৰমূখ্যে কিছুমানে স্ব-ইচ্ছাৰে মিৰজুম্লাক অনুসৰণ কৰিছিল। কিন্তু ঢাকা গৈ পোৱাৰ আগতেই নাৱতেই মিৰজুম্লাৰ মৃত্যু হয়। বাদুলি ফুকন ঢাকাৰ পৰা অসমলৈ ঘূৰি নাহিল। এই বিশ্বাসঘাটকী ভূমিকাৰ বাবে বাদুলি ফুকন সকলোৰে গৰিহণাৰ পাত্ৰ হ'ল।

লুখুৰাখন ফৈদৰ আন এজন বিখ্যাত বৰফুকন আছিল লালুকী ওৰফে লালুকসোলা। শৰাইঘাটৰ যুদ্ধৰ পৰৱৰ্তী এঘাৰ বছৰ কালছোৱাত (১৬৭১-৮২ খ্ৰীঃ) যিকেইজন স্বাৰ্থান্বেষী আৰু ক্ষমতাশালী বিষয়া পৰাক্ৰমী হৈ উঠি ৰাজ্যত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল তাৰ ভিতৰত লালুকসোলা বৰফুকনো অন্যতম। তেওঁ বঙ্গৰ নবাব মহম্মদ আজমৰ লগত অভিসন্ধি কৰি বিনা যুদ্ধে ১৬৬৯ খ্ৰীঃত গুৱাহাটী মোগলক এৰি দি মোগল সেনাবাহিনী লগত লৈ ৰাজধানী গড়গাঁও অধিকাৰ কৰি স্বৰ্গদেৱ চুতেউফাক হত্যা কৰে আৰু আতন বুঢ়াগোহাঁইকে ধৰি ৰাজপক্ষৰ সকলো লোককে বন্দী কৰে।

[22] **আহোমৰ দিন**, পৃঃ ২৬।

[23] **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৭৯; পাদটীকা ১৫।

* মোমাই তামুলীৰ ঘৰত মতা নাম আছিল **শুকুটী**। **শুকুটী** নামটো **শুকটী** শব্দৰপৰা আহিছে। **শুকটী** শব্দৰ অৰ্থ শুকান মাছ গুৰি কৰি প্ৰস্তুত কৰা এবিধ খাদ্য। এইবিধ খাদ্য প্ৰস্তুত কৰাত চুতীয়াসকল বৰ পাৰ্গত আছিল)।

[24] **অসম বুৰঞ্জী**, পৃঃ ৮১।

[25] P. Gogoi, **The Tai and the Tai Kingdoms**, p.121.



ইয়াৰ পিছত তেওঁ চামগুৰীয়া ফৈদৰ চৈধ্য বছৰীয়া কোঁৱৰ চুলিক্ফাক ৰাজপাটত তোলে আৰু ৰাজমন্ত্ৰী হৈ শাসনৰ সকলো ক্ষমতা হস্তগত কৰে। তেওঁৰ পৰামৰ্শ মতেই সিংহাসন নিষ্কণ্টক কৰিবলৈ চুলিকফাই ৰাজবংশৰ সকলো কোঁৱৰকে ধৰি আনি অঙ্গক্ষত কৰিবলৈ আদেশ দিছিল; কাৰণ আহোমসকলৰ নিয়ম মতে অঙ্গক্ষত ৰাজকোঁৱৰ ৰজা হ'ব নোৱাৰিছিল। তেওঁৰ দিহাতে তুঙখুঙীয়া ফৈদৰ ৰাজকোঁৱৰ লাঙি গদাপানিক বিচাৰি নোপাই চুলিক্ফাই তেওৰ পত্নী জয়মতীক ধৰি আনি নানা নিৰ্যাতন কৰি তেওঁৰ প্ৰাণ হানি কৰিছিল। এনে কাৰ্যত অতিষ্ঠ হৈ নিজৰে গা-ৰখীয়া ভোটাই ডেকা, মাধৱ তামুলী আৰু আঘোণা কছাৰীয়ে শুই থকা অৱস্থাত লালুক সোলাক হত্যা কৰে।[26]

লালুকসোলা বৰফুকনৰ মৃত্যুত চুলিক্ফাই লালুকসোলাৰ ভায়েক ভাতধৰাক বৰফুকন পাতিছিল, কিন্তু তেওঁ পলাই গৈ মোগলৰ পক্ষ লোৱাত লানমাখু চেতিয়া ফৈদৰ বন্দৰক সেই পদত অধিষ্ঠিত কৰিছিল।[27] এইজনা বৰফুকন সম্বন্ধত লাঙ্গি গদাপাণিৰ তিনিহীয়েক আছিল। বন্দৰ বৰফুকনে সকলো বৰুৱা, ফুকন আৰু ৰাজখোৱাৰে আলচি গদাপাণিক কলিয়াবৰৰ ওচৰৰ সৰিয়হ তলিতে ৰজা ঘোষণা কৰি উজনিলৈ আগুৱাই আহি গড়গাঁও অধিকাৰ কৰে আৰু চুলিক্ফাক সিংহাচ্যুত কৰি গদাপাণিক ৰজা মানি লয় (১৬৮১ খ্ৰীঃ)। চুলিক্ফা নামৰূপীয়া ৰজা হৈ থাকিল কিন্তু গদাধৰ সিংহই তেওঁক ৰজা পতা সকলো লোককে ৰাজদ্ৰোহী জ্ঞান কৰি 'সালত দি ভূৰ বান্ধি উটাই দিলে'। অৱশেষত বন্দৰ বৰফুকনক প্ৰাণে নামাৰি বিষয় ভাঙি ঘৰলৈ খেদিলে আৰু তেওঁৰ ঠাইত লালিকৈ ফুকনক বৰফুকন পাতিলে।[28]

আহোম ৰাজত্বৰ শেষৰ ফালে চুতীয়া কুলড্ভোৱ দুজন লোক বৰফুকন পদৰ দায়িত্বত আছিল। প্ৰথমজন আছিল লক্ষ্মীসিংহৰ ৰাজত্ব কালৰ লাহন ফৈদৰ ভোলানাথ। তেওঁ কাশী বৰফুকনৰ পিছত সেই পদত অধিষ্ঠিত হৈছিল। দ্ৰষ্টব্য যে লাহন ফৈদৰ উপৰি-পুৰুষজন চুতীয়া জাতিৰ লোক আছিল।[29] তেনেকৈয়ে গৌৰীনাথসিংহৰ দিনৰ বৰফুকন বুঢ়াচেতিয়া চেতিয়া ফৈদৰ লোক আছিল। চেতিয়া ফৈদৰ উৎপত্তি সম্পৰ্কে ইতিমধ্যে আলোচনা কৰা হৈছে। বেণুধৰ শৰ্মাৰ মতে মুঠ চল্লিশজন বৰফুকনৰ বাৰজনেই আছিল চুতীয়া জাতিৰ লোক।[30] কিন্তু প্ৰতিজন বৰফুকনৰে বংশ পৰিচয় প্ৰকাশিত বুৰঞ্জীসমূহত স্পষ্টভাবে নোপোৱাত দহজনকহে চুতীয়া বা চুতীয়া কুলোদ্ভৱ বুলি চিনাক্ত কৰিব পৰা গ'ল।

[26] বিস্তৃত বিৱৰণৰ বাবে চাওক-**তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ৩-১৩; **অসম বুৰঞ্জী**, সম্পাদিত শৰৎকুমাৰ দত্ত, পৃঃ৩৪-৫৪।

[27] কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৩৭।

[28] ঐ, পৃঃ ৩৯।

[29] হিতেশ্বৰ বৰবৰুৱা, পৃঃ ২৬১; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ২৯-৩০।

[30] বেণুধৰ শৰ্মা, **"চুতীয়া কৃষ্টি"**, **কাকডোঙ্গ**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম; ৰহোলা অধিবেশন, পৃঃ ১৭।

বৰবৰুৱা পদবীৰ দায়িত্ব আৰু ক্ষমতা সম্পৰ্কে ইতিমধ্যে উনুকিওৱা হৈছে। প্ৰথম বৰবৰুৱা মোমাই তামুলীৰ সম্পৰ্কেও উল্লেখ কৰা হৈছে। এইজনা বৰবৰুৱা অতি বিচক্ষণ আছিল। তেওঁৰ সাংগঠনিক প্ৰতিভা প্ৰসংশনীয়। প্ৰতাপ সিংহৰ দিহাত তেৱেঁই অতি শৃংখলাৱদ্ধভাৱে পাইক প্ৰথা প্ৰৱৰ্তন কৰি বিভিন্ন জাতি আৰু বৃত্তিৰ মানুহ মিলাই একো-একোখন গাঁও পুনৰ গঠন কৰি তেওঁৰ সাংগঠনিক প্ৰতিভাৰ পৰিচয় দিছিল। তেওঁ বৰ ৰাজভক্ত বিষয়া আছিল। প্ৰতাপ সিংহৰ দিনত মোগলৰ বিৰুদ্ধে চলা যুদ্ধত তেওঁ ঘাই সেনাপতিৰ দায়িত্ব পালন কৰি সামৰিক দক্ষতাৰ পৰিচয় দিছিল। ১৬৩৯ খ্ৰীঃ আহোম-মোগলৰ মাজত এটা সন্ধি হৈছিল। সেই সন্ধি অনুসৰি ব্ৰহ্মপুত্ৰৰ উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি দুই ৰাজ্যৰ সীমা নিৰ্দ্ধাৰিত হৈছিল। এই সন্ধিৰ অন্তৰালত মোমাই তামুলী বৰবৰুৱাই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এজন মোগল কটকীয়ে মোমাই তামুলীৰ বিচক্ষণতাত মুগ্ধ হৈ অসমৰ ৰজাক মহাদেৱ আৰু মোমাই তামুলীক মহাদেৱৰ বাহন নন্দিৰ লগত তুলনা কৰিছিল।[৩১]

মোমাই তামুলীৰ মৃত্যুৰ পিছত মৰাণৰ লাকু বৰপাত্ৰগোহাঁইৰ পুত্ৰ লাহোক বৰবৰুৱা পদত নিযুক্তি দিয়া হৈছিল।[৩২] তেওঁৰ বিষয়ে সবিশেষ জনা নাযায়। কিন্তু তেওঁৰ পিছত ষড়যন্ত্ৰ আৰু অস্থায়ী ৰজাৰ যুগৰ কালছোৱাত (১৬৭১-৮২খ্ৰীঃ) সন্ত্ৰাসৰ সৃষ্টি কৰা দেবেৰা বৰবৰুৱা লুখুৰাখন ফৈদৰ আছিল।[৩৩] বৰবৰুৱা হোৱাৰ আগতে তেওঁ হাজৰিকা পদত আছিল। উদয়াদিত্য সিংহক বধ কৰি ৰাজপাট অধিকাৰ কৰিবলৈ তেওঁৰ ভাতৃ ৰামধ্বজ সিংহক সহায় কৰাৰ কাৰণে এইজন ৰজাই তেওঁক বৰবৰুৱা পদত নিযুক্তি দি পুৰস্কৃত কৰিছিল। এই পদ লাভ কৰি দেবেৰা অতি ক্ষমতাশালী হৈ উঠিছিল আৰু ৰজা ভঙা-পতা কৰিবলৈ লাগিছিল। তেওঁ ৰামধ্বজ সিংহক বিহ খুৱাই হত্যা কৰি তুংখুঙীয়া ফৈদৰ কোঁৱৰ এজনক সিংহাসনত বহুৱাইছিল। কেইদিনমানৰ পিছতে তেওঁকো হত্যা কৰি চামগুৰীয়া ফৈদৰ কোঁৱৰ এজনক ৰাজপাটত তুলিছিল। যিসকল বিষয়াই দেবেৰাৰ এনে কাৰ্য্যৰ প্ৰতিবাদ কৰিছিল তেওঁলোক আটাইকে তেওঁ হত্যা কৰাইছিল আৰু চুহুং ৰজাকো মাৰি তেওঁৰ ঠাইত তুংখুঙীয়া ফৈদৰ গোবৰ গোহাঁইক ৰজা পাতিছিল।[৩৪] কিন্তু অৱশেষত, আতন বুঢ়াগোহাঁইৰ নেতৃত্বত গুৱাহাটীত কোঠ দি থকা বিষয়াসকল একত্ৰিত হৈ গড়গাঁও অভিমুখে আগবাঢ়ি আহে। বাহঁগড়াৰ ওচৰত দেবেৰাই তেওঁলোকক আক্ৰমণ কৰিবলৈ গৈ পৰাস্ত আৰু বন্দী হয়। বিষয়াসকলে গড়গাঁৱলৈ আহি গোবৰ গোহাঁইক ৰাজপাটৰ পৰা নমাই তেওঁৰ ঠাইত দিহিঙীয়া ফৈদৰ অৰ্জুন কোঁৱৰ ওৰফে চুজিংফাক

---

[৩১] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ১১৩।

[৩২] **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৩০।

[৩৩] ঐ, পৃঃ ৩৫।

[৩৪] **তুংখুঙীয়া বুৰঞ্জী**, পৃঃ ৫-৬; **আহোমৰ দিন**, পৃঃ ১৯৭,২০২।



ৰজা পাতে (১৬৭৫ খ্ৰীঃ)। দেবেৰাক বিচাৰ কৰি কোৰেৰে চবিয়াই মৃত্যু দণ্ড দিয়া হয়।[৩৫]

চুলিক্ফা ওৰফে ল'ৰা ৰজাৰ প্ৰথমজনা বৰবৰুৱা মৰঙী লুখুৰাখন ফৈদৰ আছিল।[৩৬] তৃতীয়জনা বৰবৰুৱা বকতিয়ালৰ ৰূপচন্দ্ৰ বুৰুক চুতীয়া লোক আছিল।[৩৭] সাধাৰণ কাঁড়ী-পাইকৰ পৰা নিজ গুণৰ বলত তেওঁ চমুৱা পাইকলৈ উন্নীত হৈ বৰবৰুৱা পদ লাভ কৰিছিল। তেওঁৰ পৰিয়ালৰ লোকে জলমবটা কাম কৰা বুলি মানুহে তেওঁলোকক ভিতৰি ভিতৰি ইতিকিং কৰিছিল। 'জলম জালজৰী গুঠি মাছ-পশু-চৰাই আদি ধৰিবৰ নিমিত্তে কৰা এবিধ যতন, আৰু মৰাপাটৰ জৰীৰে গুঠি জমাৰ নিচিনাকৈ কৰা বহুৱাৰ কাম। চয়জৰী দোলাত আৰু চৰাইদেৱৰ পূজা কাৰ্যত ব্যৱহৃত হৈছিল। ৰূপচন্দ্ৰৰ পূৰ্বপুৰুষসকলে চয়জৰীৰ জলম বটি আৰু বেজীৰ কামত নিযুক্ত থাকি জীৱিকা চলাইছিল। সেই দেখি এওঁলোক জলমবঁটা গৰিয়া বা দৰ্জীৰ শ্ৰেণীত পৰিগণিত হৈছিল।[৩৮] নিজৰ প্ৰতিভাৰ বলত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ শুভ দৃষ্টিলৈ আহি তেওঁ ৰজাবাৰীৰ খাৰিয়া কামত নিযুক্তি পাইছিল। সুদক্ষ কাঁড়ী আৰু চোৰাবী হিচাপে নিজৰ দক্ষতা প্ৰদৰ্শন কৰি তেওঁ স্বৰ্গদেৱৰ প্ৰিয়পাত্ৰ হৈছিল আৰু ইয়াৰ গুণতে তেওঁ বৰবৰুৱা পদ লাভ কৰিছিল[৩৯] আৰু শিৱসিংহৰ ৰাজত্বৰ কাললৈকে তেওঁ এই পদত অধিষ্ঠিত আছিল।

ৰূপচন্দ্ৰৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ গেন্ধেলা ওৰফে কীৰ্তিচন্দ্ৰ প্ৰমত্তসিংহৰ দিনত (১৭৪৪-১৭৫১) বৰবৰুৱা পদত অধিস্থিত হয়।[৪০] ১৭৬৯ খ্ৰীঃত লক্ষ্মীসিংহৰ দিনত সংঘটিত হোৱা প্ৰথম মোৱামৰীয়া বিদ্ৰোহ পৰ্যন্ত তেওঁ এই বিষয় ভোগ কৰিছিল। স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত মণিপুৰলৈ এক অভিযান চলাই মানৰ কবলৰপৰা মণিপুৰৰ ৰজা জয়সিংহক মুক্ত কৰি তেওঁ স্বৰ্গদেৱৰ প্ৰিয়পাত্ৰ হৈছিল। এই কাৰ্যত পৰম সন্তুষ্ট হৈ মণিপুৰী ৰজাই তেওঁৰ জীয়াৰী কুৰঙ্গনয়নীক ৰাজেশ্বৰ সিংহলৈ বিয়া দিছিল। ইয়াৰ স্বীকৃতি দিবলৈ ৰাজেশ্বৰ সিংহই তেওঁক বিশেষ অনুগ্ৰহ দেখুৱাইছিল আৰু পিছলৈ ৰাজ্য শাসনৰ ভাৰ তেওঁৰ ওপৰতে এৰি দিছিল। এই কামত অসন্তুষ্ট হৈ নুমলী বৰগোহাঁয়ে চকৰীফেটী নামৰ এখন বুৰঞ্জী লিখি কীৰ্তিচন্দ্ৰ বৰবৰুৱাক জলমবঁটা কাঁড়ী-পাইকৰ ঘৰৰ বুলি ইতিকিং কৰিছিল। বৰবৰুৱাই এই কথাত অপমান বোধ কৰি স্বৰ্গদেৱক বুজালে যে পুৰণি বিষয়াসকলৰ গুৰি-গোষ্ঠীক লৈ মিছা কথা লিপিবদ্ধ হৈ থাকিলে পিছলৈ বিপদ হ'ব পাৰে। গতিকে সকলোবোৰ বুৰঞ্জী পৰীক্ষা কৰি চাব লাগে। ৰজাই বৰবৰুৱাৰ কথা মানি ৰাজ্যৰ সকলো বুৰঞ্জী গোটাই আনি যিবোৰত কাৰোবাৰ বংশ সম্পৰ্কে চেকা লগা

---

[৩৫] **তুংখুঙীয়া বুৰঞ্জী**, পৃঃ ৬-৭।

[৩৬] ঐ, পৃঃ ১২।

[৩৭] সূৰ্য্য কুমাৰ ভূঞা, **স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ**, গুৱাহাটী, ১৯৭৫, পৃঃ২৪-২৫; **Ahom Buranji**, p. 32.

[৩৮] ঐ, পৃঃ ২৫।

[৩৯] ঐ, পৃঃ ২৫; **আহোমৰ দিন**, পৃঃ ২৪৭।

[৪০] **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৪৪।

কথা আছিল সেইবোৰ পুৰি ছাঁই কৰি পেলালে।[৪১] এনেদৰে বহুত মূল্যবান পুথি দাহ কৰা হ'ল। এই কাৰ্যৰ ফলত বহুতো বিষয়া কীৰ্তিচন্দ্ৰৰ শত্ৰু হৈ পৰি তেওঁক বধ কৰিবলৈ চেষ্টা কৰিছিল যদিও ফলৱৰ্তী নহ'ল।[৪২]

ৰাজেশ্বৰ সিংহৰ মৃত্যুত (১৭৬৯ খ্ৰীঃ) ডাঙৰীয়াসকলৰ আপত্তি স্বত্বেও কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ চক্ৰান্তত ৰুদ্ৰসিংহৰ কনিষ্ঠ পুত্ৰ লক্ষ্মীসিংহ (১৭৬৯-৮০ খ্ৰীঃ) ৰজা হৈছিল। কীৰ্তিচন্দ্ৰই মোৱামৰীয়া মহন্তৰ ওপৰতো অত্যাচাৰ কৰিছিল। তেওঁৰ দাম্ভিক আৰু নিষ্ঠুৰ আচৰণ মোৱামৰীয়া বিদ্ৰোহৰ অন্যতম প্ৰধান কাৰণ আছিল। মৰাণসকলৰ নেতৃত্বত যেতিয়া বিদ্ৰোহীসকলে ১৭৬৯ খ্ৰীঃৰ অক্টোবৰ মাহৰ মাজ ৰাতি ৰাজধানী ৰংপুৰ অধিকাৰ কৰিছিল, তেতিয়া কীৰ্তিচন্দ্ৰৰ পৰামৰ্শমতে লক্ষীসিংহই ৰাজধানী এৰি গুৱাহাটীৰ ফালে পলাই গৈছিল। চিন্তামণিগড়ৰ কাষত ৰাতিটো কটাম বুলি জিৰণি লওঁতেই বিদ্ৰোহীসকলে তেওঁলোকক তাতে ধৰা পেলালে আৰু বন্দী কৰি ৰাজধানীলৈ ঘূৰাই আনিলে। বিদ্ৰোহীসকলে ৰাজধানীত নিজৰ শাসন প্ৰতিষ্ঠা কৰি ৰজাক জয়দ'লত বন্দী কৰি থলে আৰু কীৰ্তিচন্দ্ৰক বধ কৰিলে।[৪৩]

নানান দোষ-ত্ৰুটি স্বত্বেও কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ ৰাজভক্তি আৰু ৰাজনীতিজ্ঞানৰ শলাগ ল'ব লাগিব। সাধাৰণ অৱস্থাৰ পৰা আহিলেও অতি কম সময়ৰ ভিতৰতে তেওঁ ৰাজনীতিৰ দৰ্শন আয়ত্ব কৰি ল'ব পাৰিছিল আৰু বিজ্ঞ লোকৰ দৰে ৰজাক দিহা-পৰামৰ্শ দিব পাৰিছিল। চিন্তামণিগড়ত ৰাতি আশ্ৰয় লৈ থাঁকোতে তেওঁ ৰজাই যুদ্ধ কৰিব নে বিদ্ৰোহীৰ ওচৰত শৰণ ল'ব সেই কথা আলোচনা কৰি ৰজাক অনেক কথা কৈছিল। তাৰে কিছু অংশ তলত তুলি দিয়া হ'ল -

'ক্ষত্ৰিয়ৰ ধৰ্ম শৰীৰ থাকে মানে যুদ্ধ কৰিব। জয় লভিলে ৰাজ্যভোগ হয়, যুদ্ধত পৰিলে স্বৰ্গ ভোগ হয়। শৰীৰৰ লগত কাতৰ হ'লে পৰলোকলৈকো পাপ হয়, ইহলোকতো পৰাধীন হয়। লোকৰ আজ্ঞাত প্ৰৱৰ্তি অনেক ভয়, লাজ, ক্লেশক পায়, মৃত্যু বাঞ্ছা কৰি থাকিব লগা হয়। অতি কুৎচিৎ দুখ। আৰু পৰদেশৰ ৰজাৰ হাতত পৰাজয় হ'লে চাতুৰ হৈ তাক নিৰন্ধ কৰি লৈ ৰক্ষা কৰিলে ভাল আছে, যাতে সি নিৰন্ধ কৰি স্বদেশলৈ যায়। আৰু সেনায়ে সৈতে সক্ষম হৈ থাকি সুদিন হ'লে তাকে জিনি পূৰ্বপদত স্থিতি হ'ব পাৰে। যিহেতু জয়-পৰাজয়ৰ সেয়েই কাৰণ, এতেকে কাল বঞ্চিবৰ নিমিত্তে কাতৰতো আগেয়ে প্ৰৱৰ্তি গৈছে, সম্প্ৰতিও প্ৰৱৰ্তিছে, আগলৈকো প্ৰৱৰ্তিব .... আৰু মৰাণে মোক মাৰি আনক এৰিব এইখিনি নহয়, স্বৰ্গদেৱে তাক নপতিয়াব। বিশেষতঃ দুষ্টলোকে উত্তমলোকক মিত্ৰ কৰি কোনোকালে মনা নাই। দুষ্টৰ ক্ষমা ধৰ্ম নাই। এতেকে কোনো নৰব ... । যদি

---

৪১ হৰকান্ত বৰুৱা সম্পাদিত, **অসম বুৰঞ্জী**, পৃঃ ৭৫; **অসম বুৰঞ্জীৰ সাৰ**; পৃঃ ৪৬।

৪২ **Ahom Buranji**, p. 284, **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৪৬।

৪৩ হৰকান্ত বৰুৱা সদৰামিন, **অসম বুৰঞ্জী**, পৃঃ ৭৮; **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ৪৮।



মৰাণে ৰাজচক্ৰৱৰ্তীৰ পদ পায়, তাক এৰি হাবিলৈ যাব বুলি যদি কোনোবোৰে কয় তাক স্বৰ্গদেৱে নপতিয়াব'[৪৪]।

মানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণৰ সময়ত (১৮১৯-১৮২১ খ্ৰীঃ) পাতাল/পাতালং ওৰফে মোমাই বৰবৰুৱাই এটা বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। **আহোম বুৰঞ্জী**ত তেওঁক চুতীয়া জাতিৰ বুলি স্পষ্টকৈ কোৱা হৈছে; কিন্তু অন্যান্য বুৰঞ্জীত কেৱল কছাৰী জাতিৰ লোক বুলিহে উল্লেখ আছে।[৪৫] ইয়াৰ দ্বাৰা অৱশ্যে তেওঁৰ গোষ্ঠী পৰিচয়ৰ কোনো বিভ্ৰান্তি নঘটে, কাৰণ কছাৰী আৰু চুতীয়াসকল আদিতে একেটা বংশৰে লোক আছিল।

পাতালং এজন সুদক্ষ বিষয়া আছিল। চিংফৌসকলে ধৰি নিয়া অসমীয়া শৰণাৰ্থী আৰু যুদ্ধ বন্দীসকলক উদ্ধাৰ কৰিবলৈ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে তেওঁক চিংফৌ ৰাজ্যলৈ পঠিয়াইছিল, কিন্তু বিদ্ৰোহী চিংফৌসকলক পৰাভূত কৰিব নোৱাৰি মান বা ব্ৰহ্মদেশৰ ৰজাৰ সহায় বিচাৰি তেওঁ সেই দেশলৈ গৈছিল। মান ৰজা বডৌপায়াই তেওঁৰ শক্তি-সামৰ্থ্য বুজিব পাৰি আৰাকানীসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ তেওঁক পঠিয়াই দিলে। এই অভিযানত কিছু সফলতা অৰ্জন কৰা কাৰণে বডৌয়াপায় তেওঁক আৰাকানৰ এক ভূমিখণ্ডৰ শাসনকৰ্তা পাতে। বদনচন্দ্ৰৰ হত্যাৰ প্ৰতিশোধ লৈ চন্দ্ৰকান্তসিংহক পুনৰ সিংহাসনত বহুৱাবলৈ ১৮১৯ খ্ৰীঃত মান ৰজাই যেতিয়া দ্বিতীয়বাৰ অসমলৈ মান সেনা পঠিয়ায়, তেতিয়া এই অভিযানৰ প্ৰধান সেনাপতি আলুমিঙি বৰগোহাঁইৰ লগত পাতাল বৰুৱাও আহিছিল। ১৮১৯ খ্ৰীঃ ফেব্ৰুৱাৰী মাহত জাঁজী নৈৰ পাৰৰ ফুলপানীচিগাত মান আৰু অসমীয়া সেনাৰ মাজত সংঘটিত হোৱা যুদ্ধত প্ৰথমে অসমীয়া সেনাৰ জয় হৈছিল। কিন্তু বিজয়ী অসমীয়া সেনাই আগবাঢ়ি নগৈ পিচ হুঁহকি অহাৰ বাবে বাকী অসমীয়া সেনাই ভয় খাই পলাবলৈ ধৰে। মান সেনাই তেতিয়া চন্দ্ৰকান্ত সিংহক পুনৰ ৰজা পাতিলে আৰু পাতাল বৰুৱাক বৰবৰুৱা পদত নিযুক্তি দিলে। ইয়াৰ কিছু দিন পিচতেই আলুমিঙিয়ে মিঙ্গিমাহা তিলোৱা নামৰ এজন সেনাপতিক অসমত ৰাখি নিজ দেশলৈ উলটি গ'ল। চন্দ্ৰকান্ত সিংহই তেওঁৰ বায়েক মাজু আইদেউক পাতাল বৰবৰুৱালৈ বিয়া দি তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰিলে। পাতাল বৰবৰুৱাৰ পৰামৰ্শমতে চন্দ্ৰকান্ত সিংহই মানৰ ভৱিষ্যত আক্ৰমণ প্ৰতিৰোধ কৰাৰ অৰ্থে দীঘলীঘাট আৰু জয়পুৰত এটা গড় সজাইছিল। এই কথা কিবা সূত্ৰে জানিব পাৰি মানদেশৰ নতুন ৰজা বাগীদোৱাই (১৮১৯-১৮৩৮ খ্ৰীঃ) অসম আক্ৰমণ কৰিবলৈ এটা সৈন্য-বাহিনীৰ দ'ল পঠায়। তেওঁলোকে জয়পুৰত গড় নিৰ্মাণৰ কাম চলি থকা দেখি পাতাল বৰবৰুৱাক নিধন কৰে আৰু তেওঁৰ লগত থকা মানুহখিনিৰ ওপৰতো অমানুষিক অত্যাচাৰ চলায়।[৪৬]

---

৪৪ **স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ**, পৃঃ ২৮-২৯।

৪৫ **Ahom Buranji**, p. 383; হৰকান্ত বৰুৱা সদৰামিন, **অসম বুৰঞ্জী**, পৃঃ ৯০; **আহোমৰ দিন**, পৃঃ ৩১৪।

৪৬ **Anglo-Assamese Relations**, pp.472-474.

ওপৰত দিয়া বৰ্ণনাৰ পৰা দেখা যায় যে, পাতাল বৰবৰুৱা স্বদেশ প্ৰেমিক লোক আছিল। তেওঁ অসমক মানৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ বিচাৰিছিল। বঙ্গদেশত আশ্ৰয় লৈ থকা ৰুচিনাথ বুঢ়াগোহাঁয়ে হিন্দুস্থানী চিপাহীৰে চন্দ্ৰকান্তক আক্ৰমণ কৰিব পাৰে বুলি ভাবি চন্দ্ৰকান্ত সিংহ শংকিত হৈছিল। এই সন্ধিক্ষনত পাতাল বৰবৰুৱাই ৰজাক নিৰ্ভয় দান কৰি এই বুলি কৈছিল - 'স্বৰ্গদেউ ভয় নকৰিব, মই নিজে যুদ্ধলৈ যাম। সঁচাকৈয়ে যদি যুদ্ধ কৰিবলৈ ফিৰিঙ্গী আহে আৰু বৰ্গী অৰ্থাৎ মাৰাঠীসকলে সিহঁতৰ তৰোৱাল দাঙি লয়, তেতিয়া সিহঁত সকলোকে পৰাভূত কৰাৰ সাহস মোৰ আছে। আনকি দেৱতাৰ আশীষ ধন্য হৈ আহিলেও সিহঁতক চত্ৰ ভঙ্গ কৰি দেশৰ স্বাধীনতা অক্ষুন্ন ৰাখিব পাৰিম বুলি মই নিশ্চিত।'[৪৭] পাতাল বৰবৰুৱাৰ এই বীৰোচিত উক্তি সঁচাকৈয়ে প্ৰশংসনীয়।

পাত্ৰ মন্ত্ৰী পদৰ বাহিৰেও বৰুৱা, ৰাজখোৱা, হাজৰিকা, শইকীয়া আদি বিভিন্ন পদত যথেষ্ট সংখ্যক চুতীয়া জাতিৰ লোক আছিল। হিতেশ্বৰ বৰবৰুৱাই উল্লেখ কৰিছে যে আহোম প্ৰশাসনত আহোম-বৰুৱা নামৰ বিষয়াজন চুতীয়া জাতিৰ আছিল। পূৰ্বতে আহোম-বৰুৱা চুতীয়া ৰজাৰ কটকী আছিল। চুতীয়া ৰাজ্য আহোমৰ হস্তগত হোৱাত এইঘৰ মানুহ আহোম সৈন্যৰ লগত পলাই আহে। চুতীয়াৰ ফালৰ বা-বাতৰি জনাই থাকিবলৈ চুহুংমুং দিহিঙ্গীয়া ৰজাই তেওঁক আহোম বৰুৱা বা আহোমৰ-বৰুৱা পাতিছিল।[৪৮] শিৱসিংহ ৰজাই হিন্দু চুতীয়া জাতৰ চৰগোৱালৰ এজনক দুলীয়া-বৰুৱা পদত নিযুক্তি দিছিল।[৪৯] কোনো কোনো চুতীয়া লোকে আৰোৱান ধৰা বৰুৱা, ফুল-বৰুৱা, শিলাকুটি-বৰুৱা, সোণোৱাল-বৰুৱা, ঠেঙাল-বৰুৱা, শেনচোৱা-বৰুৱা, কুকুৰাচোৱা-বৰুৱা আদি বিষয় খাইছিল বুলি জনা যায়।

শেষ স্বাধীন আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ ল'ৰালি কালৰ পৰম বন্ধু আছিল ভূত নামৰ এজন কুকুৰাচোৱা বৰাৰ পুত্ৰ সৎৰাম। তেৰ কি চৈধ্য বছৰ বয়সতে চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহিছিল। ৰজা হোৱাৰ পিছতো তেওঁ সৎৰামৰ পৰা আঁতৰি নাহিল বৰঞ্চ তেওঁলোকৰ সম্পৰ্ক বেছি ঘনিষ্ঠহে হ'ল। সৎৰাম বৰ বুদ্ধিয়ক আৰু সাহসী আছিল। ৰাজ অনুগ্ৰহ লাভ কৰি তেওঁ চাৰিঙ্গীয়া ফুকন হৈছিল আৰু ৰজাৰ ওপৰত তেওঁ এনেকুৱা প্ৰভাৱ বিস্তাৰ কৰিছল যে ৰজাই ডাঙৰীয়াসকলৰ দিহা মতে নচলি সৎৰামৰ পৰামৰ্শহে মানি চলিছিল। ডাঙৰীয়াসকলে আৰু

৪৭ *ibid*, p.474.

৪৮ আহোমৰ দিন, পৃঃ ২৪৩।

৪৯ ঐ, পৃঃ ২৪৩।



বিশেষকৈ পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে এই কাৰ্য্যৰ প্ৰতিবাদ কৰাৰ কাৰণে সৎৰামে বুঢ়াগোহাঁইক মাৰিবলৈ কেইবাটাও ষড়যন্ত্ৰ কৰিছিল। পিছত বুঢ়াগোহাঁইৰ হাতত ধৰা পৰিলত তেওঁৰ প্ৰাণ দণ্ডৰ আদেশ হ'ল, কিন্তু ৰজাৰ অনুৰোধত তেওঁক বধ নকৰি হাবিলৈ নিৰ্বাসিত কৰা হ'ল। তাতে তেওঁক এজন নগাই খুচি হত্যা কৰে। সৎৰামৰ এই ঘটনাকে বুৰঞ্জীত 'ভূতৰ পুতেকৰ খবৰ' বোলে।[৫০] সৎৰাম চুতীয়া জাতিৰ লোক আছিল। শোণিতপুৰ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত কুকুৰাচোৱা গাঁৱত এতিয়াও কুকুৰাচোৱা বৰা ভূতৰ বংশধৰসকল আছে। চুতীয়া সন্মিলনৰ অগ্ৰণী প্ৰতিষ্ঠাতা মুক্তি যুদ্ধা স্বৰ্গীয় ঘনকান্ত ফুকন এই বংশৰ লোক আছিল।

কোনো কোনো আহোম স্বৰ্গদেৱে ঘৰবন্দী অৱস্থাত থকা চুতীয়া, বৰাহী, মৰাণ আদি লোকক মুকলি কৰি আনি যোগ্যতা অনুসৰি কিছুমান পদত নিযুক্তি দিছিল। উদাহৰণ স্বৰূপে - "পূৰ্বে তন্‌খাম্ বৰগোহাঁইৰ এহেজাৰ বন্দী আছিল। সিহঁতকে বুঢ়া ৰজা স্বৰ্গদেৱে গোহাঁই ঘৰৰ বন্দী গোটাই নি এৰালিতলিত কাঁৰীকৈ 'খঙীয়া হাজাৰ' নামদি পাতিলে নি। তাৰে তিনিকুৰি মানুহ নি, খোকোৰা ফুলবাৰীত বাৰীচোৱাকৈ দিলে। তাৰে ভিতৰত গুটিমালিক মুখ্য কৰি অধিকাৰ পাতি দিলে। পাচে ৰজাদেৱে কাৰ্য্যকামত ভাল পায় গুটিমালিক ফুলবৰুৱা নাম দিলে। কুলত এইঘৰ মৰাণ, এইঘৰকে গুটিমালি ঘৰো বোলে।[৫১] তন্‌খাম্ বৰগোহাঁইৰ জীয়েক নাঙ্গচাং গাভৰুক খোড়া ৰজা স্বৰ্গদেৱলৈ দিওঁতে বৰগোহাঁয়ে লাঙ্গীমূৰ নামে এক চুটিয়াক দিছিলে। সেয়ে বৰগোহাঁইৰ জীয়াৰীৰ খাটনিত ঘোঁৰাচোৱা হৈ আছিল। পাচে কতদিন থাকি সি মৰিল। বুঢ়া ৰজা স্বৰ্গদেৱে তাৰে পু-নাতি এঘৰক আপাহ পাই, বৰগোহাঁইৰ ঘৰৰ যৌতুকীয়া গুচাই ভাণ্ডাৰী চেতিয়া নাম দিলে।[৫২] "পূৰ্বে চুটিয়া মাৰি অনা ল'ৰা এটি বুঢ়া ৰজাদেৱে লগত ললে, কাৰ্য্যকামত ভাল পায় তাকে ৰাইডঙ্গিয়া খেলত দিলে। কতদিন থাকি, সিয়ে মৰিলত, স্বৰ্গদেৱে তাৰে পুতেকক দিচাঙ্গৰে চাপৰিত ৰাজখোৱা পাতিলে, তাকে দিচাঙ্গ মুখীয়া ৰাজখোৱা বোলে।[৫৩]

ইয়াৰ উপৰিও বহুকেইজন চুতীয়া লোকে ৰাজ আজ্ঞাত বিভিন্ন সামৰিক অভিযান চলাই মৃত্যু বৰণ কৰিছিল। উদাহৰণ স্বৰূপে স্বৰ্গদেৱ প্ৰতাপ সিংহৰ দিনত টংচু নগাসকলৰ বিদ্ৰোহ দমন কৰিবলৈ গৈ চুতীয়া জাতিৰ বানৰুকীয়া হাজৰিকাই প্ৰাণ হেৰুৱাইছিল।[৫৪]

৫০ আহোমৰ দিন, পৃঃ ২৯৩-২৯৬; **Ahom Buranji**, pp.376-377.

৫১ আহোম বুৰঞ্জী, পৃঃ ১২৫; পুৰণি অসম বুৰঞ্জী, পৃঃ ৩৮।

৫২ আহোমৰ দিন, পৃঃ ১২৬, পুৰণি অসম বুৰঞ্জী, পৃঃ ৩৮।

৫৩ আহোমৰ দিন, পৃঃ ১২৬।

৫৪ **Ahom Buranji**, p.29.

এইজনা ৰজাৰ দিনত (১৬১১-৪১) চুতীয়া ৰাজকুমাৰ যদুৱে স্বৰ্গদেৱৰ পক্ষ লৈ মোগলসকলৰ বিৰুদ্ধে যুদ্ধত নামিছিল।[৫৫] স্বৰ্গদেৱ লক্ষ্মীসিংহই মোৱামৰীয়াসকলক দমন কৰিবলৈ যিসকল বিষয়াক পঠাইছিল তাৰ ভিতৰত বুৰুক-চুতীয়া জাতিৰ মই বৰুৱাও আছিল। তেওঁক "সেনাপতি পাতি চাংমাই ৫০০০ লগত দি সৰিয়হ হাটৰ বাটে" যাবলৈ নিৰ্দেশ দিয়া হৈছিল।[৫৬] বৃদ্ধ হাও বৰাই (বুঢ়া) নিজৰ ফালৰ পৰা সৈন্য-সামন্ত গোটাই প্ৰথম মানৰ আক্ৰমণ প্ৰতিৰোধ কৰি অসীম বীৰত্বৰ পৰিচয় দিছিল।[৫৭] জনশ্ৰুতিৰ মতে, হাও বৰাই মানৰ পালি সেনাপতি চেক ফুকনৰ লগত যুদ্ধ কৰিছিল আৰু চেক ফুকনৰ পুত্ৰ পিপৰক হত্যা কৰিছিল।[৫৮] হাও বৰাৰ পুত্ৰ নখ বৰাই পিতাকৰ সৈতে একেলগে যুদ্ধ কৰিছিল। হাও বৰাৰ সতি-সন্ততি এতিয়াও লক্ষীমপুৰ জিলাৰ মৰনৈ-বেবেজীয়াত আছে। জনশ্ৰুতিত লেঙি ডেকাবৰা নামৰ আন এজন চুতীয়া বীৰৰ কাহিনী পোৱা যায়। তেওঁক বোলে মানে তেওঁলোকৰ দেশলৈও ধৰি লৈ গৈছিল। কিন্তু তাৰ পৰা তেওঁ এজন সঙ্গীৰ সৈতে পলাই আহিবলৈ সক্ষম হয়। লাঙি ডেকাবৰা আৰু তেওঁৰ সঙ্গীজনৰ সতি-সন্ততি এতিয়াও লক্ষীমপুৰ জিলাৰ কেকুঁৰী-বেবেজীয়াত আছে।[৫৯]

**আহোম বুৰঞ্জীত** স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত (১৬৯৬-১৭৪০ খ্ৰীঃ) প্ৰধান প্ৰধান বিষয়াসকলৰ যি তালিকা দিয়া হৈছে, তাত কেইবাজনো বৰাহী চুতীয়াৰ নাম আছে। তেওঁলোক হ'ল - থাওমুং তিমা ওৰফে লংতাই মুং ওৰফে থাপুংথা, লানচেউমা (ঘোঁৰা ধৰা), লানচেং মাই, লানমাখু আৰু অকনিমূৰীয়া।[৬০] অৱশ্যে কোনজন ব্যক্তিয়ে কি বিষয় খাইছিল সেই কথা বুৰঞ্জীখনত উল্লেখ নাই। স্বৰ্গদেৱ লক্ষীসিংহই মোৱামৰীয়া বিদ্ৰোহীৰ হাতৰ পৰা সিংহাসন পুনৰ উদ্ধাৰ কৰি কেইজনমান নতুন বিষয়াক নিযুক্তি দিছিল। তেওঁলোকৰ ভিতৰত বৰাহী-চুতীয়া জাতিৰ পিজলী খনিকৰ বৰুৱাও আছিল।[৬১]

কাঁড়ী পাইক হিচাপেও বিভিন্ন খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল। কেৱল চুতীয়া লোকক লৈ "চুতীয়া কাঁড়ী" নামৰ এটা খেল গঠন কৰা হৈছিল, [illegible] প্ৰমাণ কৰে যে কাঁড়ী হিচাপে চুতীয়াসকল দক্ষ আছিল। অসমীয়া লোক সাহিত্যত আছে -

'স্বৰ্গদেৱে আনিলে চুতীয়া কাঁড়ী ঐ
বুকু বহল বহল চাই।
এঠেমা ভিৰায়ে মাৰে বৰধনু
হেডামত সৰকি যায়।[৬২]

ধেনুচোচা, নাওবৈচা, টাঙোনধৰা, আৰোৱানধৰা, দাধৰা, হিলৈদাৰী, [illegible]ৰীয়া আদি খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল। কোনো কোনো চুতীয়ালোকে হাতীবৰুৱা, ঘোঁৰাবৰুৱা আদি পদত নিযুক্তি পাইছিল। লো[illegible]উৎপাদনৰ শিল্পত দক্ষতা থকা হেতু লোশলীয়া খেলৰো অধিকাংশ সদস্য চুতীয়া জাতিৰ আছিল। সোণোৱাল খেলটো কছাৰী আৰু চুতীয়া জাতিৰ লোকেৰে গঠিত হৈছিল। ৰাজ্যৰ অধিকাংশ খনিকৰেই আছিল চুতীয়া জাতিৰ। তেওঁলোকে কাঠ, বাঁহ, বেত, হাতী দাঁত আদিৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল। তদুপৰি জাপি সজা কামতো চুতীয়াসকল অতি পাৰ্গত আছিল। গতিকে জাপিসজীয়া খেলৰ [illegible]সকলৰ অধিকাংশই এই জাতিৰ লোক আছিল। এইবোৰ খেলৰ বৰুৱা [illegible]ত সাধাৰণতে চুতীয়া লোক আছিল বুলি জনা যায়। আহোম স্বৰ্গদেৱসকলৰ [illegible]সকল বৰাহী চুতীয়া আছিল। এনেকৈয়ে আহোম প্ৰশাসনত বিভিন্ন প্ৰকাৰৰ উৎপাদন প্ৰক্ৰিয়াত চুতীয়াসকলে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

চুতীয়া ৰাজ্য জয়ৰ পিছত কেইবাজনো আহোম স্বৰ্গদেৱে চুতীয়াসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি দুয়োটা সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিৰ ভাব গঢ়ি তুলিবলৈ আগবাঢ়িছিল। চুছেংফা বা প্ৰতাপসিংহই চুতীয়া কুলৰ পৰ্বতীয়া গোহাঁৰই জীয়েকক বিয়া কৰাইছিল। "এই ঘৰকে ভাণ্ডাৰী গোহাঁইৰ ঘৰ বোলে, কিন্তু আচলতে গোহাঁই নহয়, জাতত পূৰ্বে চুতীয়া"।[৬৩] প্ৰতাপসিংহৰ পুত্ৰ চুৰম্‌ফাই [illegible]মুৰীয়া নামৰ চুতীয়া লোক এজনৰ জীয়েক এজনীক আনি বিৰামবাৰীত [illegible] বিয়া কৰাই নাঙ্গগ্ৰাম নাম দি বৰকুঁৱৰী পাতিছিল।[৬৪]

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, আহোম প্ৰশাসনৰ বিভিন্ন স্তৰত চুতীয়াসকলে তেওঁলোকৰ সেৱা আগবঢ়াই ৰাজ্যৰ সুৰক্ষা আৰু সমৃদ্ধিত অৰিহনা

[৫৫] **Ahom Buranji**, p.103; সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, পৃঃ ৩৮।

[৫৬] **তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ ৬১।

[৫৭] **Weissalisa**, trans, B. Boruah, ed. M. Bora, Deptt. of Assamese, Dibrugarh University, 1977, p. 45.

[৫৮] ক্ষেত্ৰ অধ্যয়নৰ কালত গৱেষণা সহায়ক শ্ৰীনৃপেন শইকীয়াই লগপোৱা মৰনৈ বেবেজীয়া নিবাসী আশী বছৰ বয়সীয়া শ্ৰী সৰ্বেশ্বৰ বৰাদেৱৰ পৰা হাও বৰাৰ বিষয়ে জানিব পৰা গৈছিল।

[৫৯] এই কেইটা জনশ্ৰুতি লক্ষীমপুৰ জিলাৰ মৰনৈ বেবেজীয়া অঞ্চলৰপৰা গৱেষণা সহায়ক শ্ৰী নৃপেন শইকীয়াই সংগ্ৰহ কৰিছে।

[৬০] **Ahom Buranji**, pp.31-32.

[৬১] **তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ ৭৪।

[৬২] [illegible]েশ্বৰ বৰুৱা, **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, পৃঃ ৬০।

[৬৩] **আহোমৰ দিন**, পৃঃ ৮৩।

[৬৪] ঐ, পৃঃ ১৩০; **Ahom Buranji**, p.127.

যোগাইছিল। তেওঁলোকৰ মাজত অৱশ্যে কেইজনমান স্বাৰ্থান্বেষী ক্ষমতালোভী বিষয়াও আছিল। তেওঁলোকে নিজৰ ব্যক্তি স্বাৰ্থৰ হেতু দেশৰ বৃহত্তৰ স্বাৰ্থক বলিদান দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। কিন্তু তেওঁলোকৰ মাজত অনেক ৰাজভক্ত আৰু দেশপ্ৰেমিক লোকো আছিল, যি ৰজা আৰু ৰাজ্যৰ স্বাৰ্থৰ হেতু হাঁহি মুখে মৃত্যু বৰণ কৰিছিল আৰু অকুণ্ঠ সেৱা আগবঢ়াই ৰাজ্যখন সমৃদ্ধিশালী কৰি তুলিছিল।

# চুতীয়াসকলৰ সামাজিক বিভাজন

অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ মাজতো এটা সময়ত কেইবাটাও সামাজিক ভাগ আছিল। কিন্তু এই ভাগবোৰৰ অধিকাংশই প্ৰকৃত অৰ্থত ফৈদ বা খেল নহয়। জাতি তথা ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত চুতীয়াসকল বিভিন্ন জনগোষ্ঠীৰ সম্পৰ্কলৈ আহিছিল আৰু বহুতৰ লগত তেওঁলোকৰ বৈবাহিক সম্পৰ্ক স্থাপন হৈছিল। ইয়াৰ ফলশ্ৰুতিত তেওঁলোকৰ মাজত বিভিন্ন সামাজিক ভাগৰো সৃষ্টি হৈছিল। বৃত্তিৰ ওপৰত নিৰ্ভৰ কৰিও চুতীয়াসকলৰ মাজত কিছুমান ভাগ আছিল। যেনে - চাউদাং চুতীয়া, মিত্ৰয়া চুতীয়া, সোণোৱাল চুতীয়া, চুতীয়া কাঁড়ী ইত্যাদি। কিন্তু বৰ্তমান চুতীয়াসকলৰ মাজত কোনো সামাজিক বা বৃত্তিগত ভাগ নাই। সকলো চুতীয়াৰ এটাই মাত্ৰ পৰিচয়, চুতীয়া বুলি। বৰ্তমানৰ পৰিপেক্ষিতত সেই বাবে এই প্ৰশ্নটো অপ্ৰাসংগিক যেন লাগে। কিন্তু চুতীয়া জাতিৰ গঠন আৰু বিকাশ তথা অতীত বুৰঞ্জী অধ্যয়নত এই বিষয়টোৰ বিশেষ গুৰুত্ব আছে। এই কথা সৰোগত কৰিয়েই এটা সময়ত তেওঁলোকৰ মাজত থকা মূল সামাজিক আৰু বৃত্তিগত ভাগ কিছুমানৰ চমু আভাস তলত দাঙি ধৰা হ'ল।

## হিন্দু চুতীয়া

অসমৰ সকলো জনজাতিৰ ভিতৰত সম্ভৱতঃ চুতীয়াসকলেই আগতে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। বুৰঞ্জীৰ তথ্য মতে খ্ৰীঃ ষষ্ঠ শতিকাৰ মাজ ভাগত সদিয়াত ৰাজত্ব কৰি থকা অসমভিন্ন নামৰ চুতীয়া ৰজাজন আৰু তেওঁৰ সাতজন ককাই-ভাইক কাশী বা বেনাৰসৰপৰা অহা ব্ৰাহ্মণ এজনে হিন্দু ধৰ্মত দীক্ষিত কৰিছিল। ব্ৰাহ্মণজনে আনকি অসমভিন্নৰ কন্যাক বিয়া কৰাইছিল আৰু তেওঁৰ মৃত্যুৰ পিছত ব্ৰাহ্মণজনেই চুতীয়াসকলৰ ৰাজপাট অধিকাৰ কৰিছিল।[1] গতিকে চুতীয়া ৰাজপৰিয়ালত হিন্দু ধৰ্মৰ প্ৰভাৱ বহু আগতেই পৰিছিল।

অৱশ্যে হিন্দুকৰণ প্ৰক্ৰিয়াটো একপক্ষীয় অভিযাত্ৰা নাছিল। অনাৰ্য প্ৰধান ভাৰতবৰ্ষত আৰ্য সংস্কৃতিৰ বিস্তাৰ কৰোঁতে আৰ্যসকলে অনাৰ্যসকলৰপৰা বহুখিনি গ্ৰহণ কৰিছিল। এই দিয়া-লোৱা, গ্ৰহণ-বৰ্জনৰ সুস্থ নীতিৰ আধাৰতে ভাৰতীয় সংস্কৃতি গঢ়ি উঠিছিল। উদাহৰণস্বৰূপে শিৱ আৰু মাতৃ পূজা আছিল অনাৰ্য মূলীয় কিন্তু কিছুকাল

---

1 'The Chutiya or Sutya of Upper Assam', Incorporated in Ney Elias, **Introductory Sketch of the History of the Shans**, 1876, p. 61

পিছত শিৱ আৰু দেৱী বা শক্তিৰূপী মাতৃ-পূজা আৰ্য সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য হৈ পৰিল। এই পৰিৱৰ্তনৰ ফলত আৰ্যসকলৰ মাজত নিজৰ আদিম দেৱতা ইন্দ্ৰ, বৰুণ, অগ্নি আদিৰ প্ৰাধান্য তল পৰিল আৰু অনাৰ্য মূলীয় শিৱ আৰু শক্তিয়ে প্ৰাধান্য লাভ কৰিলে। চুতীয়াসকলৰ হিন্দুকৰণ প্ৰক্ৰিয়াটোত দেখা যায় যে, ব্ৰাহ্মণ পুৰোহিতে তেওঁলোকৰ গিৰা-গিৰাচী বা বুঢ়া-বুঢ়ীক শিৱ-শক্তি ৰূপে গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত R.N. Mosahary-এ এনেদৰে কৈছে - "চুতীয়াসকল হিন্দুকৃত হ'ল আৰু তেওঁলোকৰ আদিম পিতৃ-মাতৃ গিৰা-গিৰাচী শিৱ-শক্তি ৰূপে হিন্দু হৈ পৰিল। শক্তিক এতিয়া মাতৃদেৱী কেঁচাইখাঁতী ৰূপে পূজা কৰা হ'ল। আনহাতে উত্তৰ কাছাৰ পাহাৰৰ হিন্দুকৃত ডিমাচাসকলে তেওঁক ৰণচণ্ডী ৰূপে পূজা কৰিব ধৰিলে।"[২]

চুতীয়া ৰজাসকলে কালী বা কেঁচাইখাঁতীৰ উপৰিও শিৱ (ঈশান), গণেশ (গণপতি), কুবেৰ, অৰুণ (সূৰ্য) আৰু বিষ্ণু বা বাসুদেৱক উপাসনা কৰিছিল। এই দেব-দেৱীৰ থানসমূহ ৰাজধানী সধয়াপুৰ বা স্বধয়াপুৰীৰ আশে-পাশে আছিল। কেঁচাইখাঁতী মন্দিৰৰ চালখন তামৰ আছিল বাবে তেওঁক তাম্ৰেশ্বৰী বা তাম্ৰেশ্বৰী মাই বোলা হৈছিল। তেওঁৰ পূজাত বিভিন্ন জীৱ-জন্তু, আনকি মানুহকো বলি দিয়াৰ বাবেই তেওঁক কেঁচাইখাঁতী বোলা হৈছিল। বৌদ্ধতন্ত্ৰৰ তাৰা দেৱীৰ লগত কেঁচাইখাঁতীৰ বহুতো মিল দেখা যায়। বৌদ্ধতন্ত্ৰ আৰু হিন্দুতন্ত্ৰৰ তাৰাৰ পূজাৰ মূল মন্ত্ৰ একেই - 'হ্ৰীং স্ত্ৰীং হুম্ ফট্'।[৩] এই সামঞ্জস্যৰ বাবেই কেঁচাইখাঁতী মন্দিৰত ভূটান, চীন, তিব্বত আদি দেশৰ লোকেও পূজা দিছিলহি।[৪] এই মন্দিৰৰ পূজা কেৱল দেউৰীসকলেহে কৰিছিল। তাত ব্ৰাহ্মণসকলৰ প্ৰবেশ নিষিদ্ধ আছিল।[৫]

কেইবাজনো চুতীয়া ৰজাই বিষ্ণুভক্ত ব্ৰাহ্মণক তেওঁলোকৰ ৰাজ্যত, বিশেষকৈ হাবুং অঞ্চলত মাটি-বৃত্তি দান কৰিছিল। এইখিনি কথা প্ৰথম আৰু দ্বিতীয় অধ্যায়ত বিশদভাৱে আলোচনা কৰা হৈছে। হাবুং অঞ্চলত ঘাইকৈ ব্ৰাহ্মণসকলৰ বসতি আছিল আৰু তেওঁলোকৰ লগত চুতীয়া ৰাজবংশৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। সম্ভৱতঃ কোনো কোনো ক্ষেত্ৰত এই ব্ৰাহ্মণসকলৰ লগত চুতীয়া ৰাজবংশৰ বৈবাহিক সম্পৰ্ক ঘটিছিল।

২ "The Chutiyas became Hinduised and their primordial parent deities Gira-Girasi, referred to earlier are too Hindurised as Siva and Sakti of whom the latter is now worshipped as mother Goddess Kechaikhati, while it is worshipped as Ranachandi by the Hinduised Dimasas in the North Cachar Hills.", R.N. Mosahary, 'Religious Beliefs and Religion : Tribesmen, **The Comprehensive History of Assam, Vol.III.**, (ed) H.K. Borpujari, Guwahati, 1994, p.259

৩ নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, গুৱাহাটী, ১৯৮৯, পৃঃ ৫২

৪ E.T. Dalton, **Notes on the Chutiyas of Upper Assam**, appended to W.B. Brown's **An Outline Grammar of the Deori-Chutiya Language spoken in Upper Assam**, p.77.

৫ ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, শিৱসাগৰ, ১৯৬৪, পৃঃ ৪৬



চুতীয়া ৰজাসকল যে হিন্দু আছিল তেওঁলোকৰ নামেই তাৰ পৰিচয়। তেওঁলোকে 'ধ্বজপাল' আৰু 'নাৰায়ণ' উপাধি লৈছিল। ধৰ্মধ্বজপালে আনকি সন্যাসব্ৰত গ্ৰহণ কৰিছিল আৰু পুৰণি হিন্দু ৰজাসকলৰ দৰে জীয়াৰী সাধনীৰ সয়ম্বৰ পাতিছিল।[৬]

হিন্দু-চুতীয়াৰ আন এটা চিনাকি নাম হাঁড়-চুতীয়া। ইংৰাজীত ইয়াৰ অৰ্থ 'Chutiya proper'। 'নিজ বিহালী'য়ে যেনেকৈ 'Behali proper' বা 'আচল-বিহালী' বুজায় সেইদৰে 'হাঁড়-চুতীয়া'ই 'আচল-চুতীয়া' বা 'Chutiya proper' সূচায়। জাতি বা ধৰ্মৰ পৰিচয় দিওঁতে হিন্দুকৃত চুতীয়াসকলে হিন্দু-চুতীয়া বা তাতোতকৈ এখোপ ওপৰত হৈ 'হাঁড়-চুতীয়া' বুলি চিনাকি দি এসময়ত গৌৰৱ অনুভৱ কৰিছিল।

চুতীয়া ৰজাসকলে এহাতে নিজকে মহাভাৰতৰ এটা উল্লেখনীয় চৰিত্ৰ ভীষ্মক আৰু আনহাতে যক্ষৰাজ কুবেৰৰ সন্ততি বুলি পৰিচয় দিছিল। ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীক শ্ৰীকৃষ্ণই হৰণ কৰি নি বিবাহ কৰিছিল। এই সংহতি ৰক্ষা কৰি তেওঁলোকে ৰাজ্যৰ নাম বিদৰ্ভ ৰাখিছিল। ইয়াৰ লগত জড়িত ৰুক্মিণী উপাখ্যানৰ ঐতিহাসিক ভিত্তিৰ কথা প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে।

চুতীয়াসকলৰ সামাজিক বিভাজন আৰু হিন্দু চুতীয়া সম্পৰ্কে ১৮৮১ চনৰ লোকপিয়লত এনেদৰে লিপিবদ্ধ আছে "বৰ্তমান চুতীয়াসকল চাৰিটা শ্ৰেণীত বিভক্ত - হিন্দু, আহোম, বৰাহী আৰু দেউৰী। ইয়াৰে প্ৰথম দুটা সম্পূৰ্ণৰূপে হিন্দুকৃত হ'ল। তেওঁলোক বাস্তৱ ক্ষেত্ৰত সমপৰ্যায়ৰ আৰু একেলগে খোৱা-বোৱা কৰে; অৱশ্যে আহোমসকলৰ সৈতে কেইটামান শতিকাৰ পিছত নিজৰ ধৰ্ম সলনি কৰা লোকসকলৰপৰা নিজকে পৃথক কৰি দেখুৱাবলৈ হিন্দু চুতীয়াসকলে ৰাজ্যখনৰ সকলো জনজাতিৰ ভিতৰতে প্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰা বুলি দাবী কৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব খোজে।"[৭] হিন্দু ধৰ্ম গ্ৰহণ কৰিলেও চুতীয়া ৰজাসকলে নিজৰ আদিম পুৰোহিত দেউৰীসকলক অৱমাননা কৰা নাছিল; অথবা কেঁচাইখাঁতীক পূজা নিদিয়াকৈ থকা নাছিল। সমগ্ৰ চুতীয়া ৰাজত্বকালত পূৰ্ণ পয়োভৰে নৰবলি সহ প্ৰতি বছৰে এই পূজা চলিছিল আৰু ইয়াত অংশগ্ৰহণ কৰিবলৈ পূৰ্বে দাঁতি-কাষৰীয়া ভূটান, নেপাল, তিব্বত, চীন আৰু ব্ৰহ্মদেশৰ বাহিৰেও দক্ষিণ ভাৰতৰপৰাও অনেক লোক আহিছিল।[৮]

অৱশ্যে অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ হিন্দুকৰণো মূলতঃ তেওঁলোকৰ

৬ দেওধাই **অসম বুৰঞ্জী**ত সন্নিবিষ্ট চুতীয়াৰ কথা, পৃঃ ১৯৮

৭ The Chutiyas of the present day are divided into four classes, Hindu, Ahom, Borahi and Deori. The first two of these classes are completely Hinduized. They are practically on a level and will eat together, though the Hindu Chutiyas asserts a nominal superiority as representing the earliest converted branch of his countrymen, as distinguished from those who changed their religion with the Ahoms some centuries later. - Census Report of India, 1881, Chapter VI, p.16

৮ Dalton, *loc. cit.*

ৰাজবংশ আৰু সম্ভ্ৰান্ত শ্ৰেণীটোৰ মাজতেই সীমিত আছিল। সাধাৰণ প্ৰজাসকল জনজাতীয় স্তৰতেই ৰৈ গৈছিল আৰু তেওঁলোকেহে চুতীয়াসকলৰ পুৰোহিত, দেউৰীসকলৰ প্ৰৱৰ্তিত আদিম চুতীয়া ধৰ্ম পালন কৰিছিল। তৎসত্বেও চুতীয়া ৰাজ্য আহোমসকলৰ অধীনলৈ অহাৰ পিছতো চুতীয়াসকলৰ মাজত হিন্দু চুতীয়া আৰু অহিন্দু বা অন্য চুতীয়া বুলি ধৰ্মগত কোনো প্ৰভেদ নাছিল। দেউৰীসকল চুতীয়াসকলৰ পুৰোহিত আছিল আৰু গুৰিতে তেওঁলোক চুতীয়া জাতিৰ মানুহ আছিল।[৯] গুণী-জ্ঞানী হোৱা হেতু আৰু পূজা-পাতলৰ জ্ঞান থকা বাবে তেওঁলোকক পূজাৰী বা পুৰোহিতৰ দায়িত্ব দিয়া হৈছিল।[১০] বৰাহী চুতীয়া, বুৰুক চুতীয়া আদি ভাগবোৰ চুতীয়াৰ একো একোটা ফৈদ। আহোমৰ যুগতো হিন্দু ধৰ্ম গ্ৰহণ কৰা চুতীয়াসকলে নিজকে উচ্চ বুলি দেখুৱাবলৈ হিন্দু-চুতীয়া বুলি নিজৰ পৰিচয় এৰি দিয়া নাছিল। শংকৰদেৱৰ প্ৰৱৰ্ত্তিত মহাপুৰুষীয়া বা একশৰণীয়া নাম ধৰ্ম উজনি অসমত প্ৰৱৰ্তনৰ ফলত বহুতো চুতীয়া লোকে এই ধৰ্মত শৰণ লৈ হিন্দু হৈ পৰিছিল। কিন্তু তেওঁলোকে নিজৰ আদিম ধৰ্মীয় পৰম্পৰা সম্পূৰ্ণকৈ এৰি দিয়া নাছিল। সূৰ্য্যকান্ত খনিকৰৰ মতে ভাগৱতী বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা চুতীয়াসকলেই নিজকে হিন্দু চুতীয়া বুলি আখ্যা দিছিল আৰু এইদৰে চুতীয়াসকলৰ ভিতৰত হিন্দু চুতীয়া আৰু অন্য চুতীয়া দুটা ভাগ হৈ পৰিছিল।[১১] 'হিন্দু চুতীয়া' নামটো প্ৰথম **ছোট কোঁৱৰৰ বুৰঞ্জী**ত উল্লেখ পোৱা যায়। এইখন বুৰঞ্জী ১৯ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত ৰচনা হৈছিল বুলি অনুমান হয়।[১২]

ব্ৰিটিছসকল অহাৰ পিছতহে বৰ্ণবৈষম্য এটা অৰ্থত সক্ৰিয় হৈ উঠে। ৰাজবংশী আৰু পুৰোহিত তথা উচ্চজাতৰ লোকসকলক ব্ৰিটিছসকলে গুৰুত্ব দিছিল; কাৰণ তেওঁলোকক হাতত ৰাখিব পাৰিলে ব্ৰিটিছ শাসন মজবুত কৰাটো সহজ হৈ পৰে। এই কাৰণতে সমগ্ৰ ভাৰতবৰ্ষ জুৰি নিম্ন বৰ্ণৰ লোকসকলে নিজকে উচ্চ বৰ্ণৰ বুলি পৰিচয় দিবলৈ চেষ্টা চলাইছিল। অসমতো চুতীয়াসকলে নিজকে উচ্চ বৰ্ণৰ বুলি প্ৰমাণিত কৰিবলৈ নিজৰ গোষ্ঠীৰ নামৰ আগত 'হিন্দু' বিশেষণটো লগাই লৈছিল। বহু বছৰ আগৰপৰা ব্ৰাহ্মণসকলৰ লগত তেওঁলোকৰ সামাজিক সম্পৰ্ক থকাত তেওঁলোকে নিজকে শুদ্ধ-হিন্দু বুলি পৰিচয় দিয়াত বিশেষ অসুবিধাৰ সৃষ্টি হোৱা নাছিল। এই সম্পৰ্কত Dalton-এ তেওঁৰ **Descriptive Ethnology of Bengal** নামৰ গ্ৰন্থত এনেদৰে কৈছে - "আহোমসকল অহাৰ বহু আগতেই চুতীয়াসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰি ব্ৰাহ্মণ পুৰোহিতৰ ওচৰত শৰণ লৈছিল। সেইকাৰণে বিশুদ্ধ হিন্দুসকলৰপৰা তেওঁলোকক সহজে পৃথক

[৯] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৪

[১০] ঐ, পৃঃ ৫

[১১] **চুতীয়া জাতিৰ ইতিহাস আৰু লোক সংস্কৃতি**, গুৱাহাটী, ২০০৩, পৃঃ ১৫৪

[১২] সম্পাদিত, কোযেশ্বৰ বৰুৱা, গহপুৰ, ২০০৫, পৃঃ ৩১



কৰিব নোৱাৰি। হয়তো সেইবাবে কৰ্ণেল হানে তেওঁলোকক কলিতাৰ লগত একেলগে সাঙুৰিছিল। তেওঁলোক যে ম্লেচ্ছ বা অনাৰ্য নহয় এইটোকে প্ৰতিপন্ন কৰিবলৈ তেওঁলোকে নিজকে হিন্দু চুতীয়া বুলি কয়।"[১৩] Dalton-এ এই সম্পৰ্কত পুনৰ কৈছে যে, হিন্দু চুতীয়াসকল অসমীয়া হিন্দুৰ লগত ইমান সম্পূৰ্ণৰূপে মিলি গ'ল যে, তেওঁলোকৰ চুতীয়া অস্তিত্বৰ সকলো চিন-মোকাম হেৰাই গ'ল।[১৪]

বিশুদ্ধ হিন্দু হৈ পৰিলেও জনজাতীয় মূলৰ হোৱাৰ হেতুকে উচ্চ বৰ্ণৰ লোকসকলে চুতীয়াসকলক হেয় জ্ঞান কৰিছিল। হলিৰাম ঢেকীয়াল ফুকনৰপৰা জনা যায় যে 'হিন্দু চুটিয়া' আৰু বড়িয়া এই দুই জাতি অন্ত্যজপ্ৰায়। উচ্চ বৰ্ণৰ লোকসকলে ম্লেচ্ছ বা অন্ত্যজ জ্ঞান কৰি তেওঁলোকৰপৰা পানীও গ্ৰহণ কৰা নাছিল।[১৫]

মণিৰাম দেৱানে তেওঁৰ **বুৰঞ্জী বিৱেকৰত্ন** নামৰ গ্ৰন্থত জাতি নিৰ্ণয়ৰ জখলাৰ বিৱৰণ দিছে সেই জখলাত চুতীয়াসকলক কেইবাটাও ভাগত ভাগ কৰিছে। এই জখলাৰ ১৭ নম্বৰত আছে হিন্দু-চুতীয়া, ২০-ত চাঙ বৰাহী, ২২-ত চুতীয়া, ২৪-ত বুৰুক (চুতীয়া), ২৫-ত মাটি বৰাহী, ২৯-ত বৰাহী আৰু ৩৬-ত চুতীয়া মিৰি।[১৬] ইয়াৰপৰা এইটো স্পষ্ট হয় যে, হিন্দু চুতীয়াসকলৰপৰা বৰ্ণ হিন্দুসকলে পানী গ্ৰহণ কৰিছিল কিন্তু আন চুতীয়াসকলক ম্লেচ্ছ জ্ঞান কৰি দূৰত ৰাখিছিল।

হিন্দু-চুতীয়াসকলে হোমযজ্ঞ কৰি বিবাহ অনুষ্ঠিত কৰিছিল। তেওঁলোকে শৰণ কৰিছিল আৰু মৃতকৰ শ্ৰাদ্ধ-কৰ্ম ব্ৰাহ্মণ পুৰোহিত লগাই হিন্দু নিয়মেৰে পালন কৰিছিল। তেওঁলোকে গাহৰি; কুকুৰা, কুচিয়া, কেকোৰা আদি ভক্ষণ নকৰিছিল আৰু কোনো ক্ষেত্ৰতেই মদ ব্যৱহাৰ নকৰিছিল। চুতীয়াসকলৰ খাদ্যাভাসত এনেকুৱা বাধা-নিষেধ সম্ভৱতঃ মহাপুৰুষীয়া ভাগৱতী ধৰ্ম গ্ৰহণ কৰাৰ পিছত সত্ৰসমূহৰ জৰিয়তে আহিছিল।

ব্ৰিটিছ শাসনে বৰ্ণবাদৰ ওপৰত গুৰুত্ব দিয়াত চুতীয়া লোকসকলে নিজৰ জাতিটোক ক্ষত্ৰিয় বুলি পৰিচয় কৰাই নিজৰ সামাজিক স্থান উন্নত কৰিবলৈ বিচাৰিছিল। কিন্তু তেওঁলোকে জনজাতীয় স্তৰত থকা জাতি-ভাইসকলৰ পৰা সম্পূৰ্ণ আঁতৰি অহা

[১৩] "The Chutiyas, long before the appearance of the Ahom, had adopted Hindu customs, and placed themselves under the tutelage of Brahminical priests, they are now therefore less distinguishable from the Hindus of pure extraction than are the Ahoms, and I find from a note on an article on the antiquities of Upper Assam, by the late Colonel Hannay, that he classes them with the Kolitas as a remnant of the old Khettrya race of Kamrup.", Dalton, p. 78.

[১৪] "... The generality (Hindu Chutiya) have become so completely amalgamated with the Assamese Hindu population as to have lost all traces of their ever having formed a separate class." — (**Notes on the Chutiyas of Upper Assam**, W.B. Brown, *op. cit.*, p.75.

[১৫] **আসাম বুৰঞ্জী**, পৃঃ ৬৭

[১৬] সম্পাদিত, ডঃ নগেন শইকীয়া, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০২, পৃঃ ১১-১২

নাছিল, কাৰণ তেওঁলোকে বুজি পাইছিল যে, ঐক্যবদ্ধ হৈ নিজৰ জাতিটোৰ কথা চিন্তা নকৰিলে তেওঁলোকৰ অনুন্নত অৱস্থাৰ কোনো পৰিবৰ্তন নহ'ব। এই বাবেই ১৯২৫ খ্ৰীঃত যেতিয়া তেওঁলোকে নিজৰ সংগঠন গঢ়ি তুলিছিল তেতিয়া সেই সংগঠনৰ নাম দিছিল 'অসম চুতীয়া সন্মিলন'। এই সন্মিলনৰ উদ্দেশ্য আছিল চুতীয়া জাতিৰ সকলো লোকৰ কল্যাণ আৰু প্ৰগতিৰ অৰ্থে কাম কৰা। প্ৰথম পাঁচখন অধিবেশনৰ সভাপতিত্ব কৰিবলৈ সন্মিলনৰ নেতৃস্থানীয় লোকসকলে ব্ৰাহ্মণ পণ্ডিতসকলক নিৰ্বাচিত কৰিছিল। তাৰ উদ্দেশ্য আছিল এইসকল পণ্ডিতৰ মুখেদি চুতীয়া জাতিক হিন্দু সমাজৰ ক্ষত্ৰিয় বুলি পৰিচয় কৰাই তেওঁলোকৰ সামাজিক ভাৱমূৰ্তি উন্নত কৰা; কিন্তু নগাঁৰৰ ৰহাত ১৯২৯ খ্ৰীঃৰ তৃতীয় অধিবেশন বহাৰ কিছুদিনৰ পিছতে ডিব্ৰুগড় জিলাৰ খোৱাঙত কছাৰী যুৱ ছাত্ৰ সন্মিলন অনুষ্ঠিত হৈছিল; এই অধিবেশনত সভাপতিৰ ভাষণত বেণুধৰ ৰাজখোৱাদেৰে স্পষ্টভাৱে কৈছিল যে - 'কছাৰী আৰু চুতীয়া একেটা বংশৰ, আৰু ৰুক্মিণী দৰাচলতে এগৰাকী কছাৰী জীয়াৰী'।[১৭] তেওঁৰ এই মন্তব্যৰ বিৰোধিতা কৰিবলৈ গোলাঘাটৰ কমাৰবন্ধাত চুতীয়া সন্মিলনৰ এখন বিশেষ অধিবেশন অনুষ্ঠিত কৰি ইয়াৰ নেতাসকলে নগাঁৰৰ জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ গোপিকা বল্লভ গোস্বামীদেৱৰ মুখেৰে সাব্যস্ত কৰালে যে, চুতীয়াসকল বিশুদ্ধ হিন্দু মানুহ। এই ঘটনাই স্পষ্টভাৱে প্ৰমাণ কৰে যে, চুতীয়াসকলে নিজকে হিন্দু চুতীয়া বুলি পৰিচয় দিয়াৰ মূল কাৰণ হ'ল তেওঁলোকৰ সামাজিক ভাৱমূৰ্তি উন্নত বা উজ্জ্বল কৰা।

১৯২৯ খ্ৰীঃত গঠিত চাইমন্ কমিচ্‌নৰ পৰামৰ্শ অনুযায়ী যেতিয়া চুতীয়াসকলৰ সত্ৰ সংস্কৃতিৰ অন্তৰ্ভূক্ত হোৱাসকলক অনুসূচিত জাতি আৰু আনসকলক জনজাতি হিচাবে ভাগ কৰিছিল তেতিয়া সন্মিলনে এই সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ জনাইছিল। জননেতা ভীমবৰ দেউৰী চুতীয়া সন্মিলনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত আছিল।[১৮] চুতীয়াসকলক সংৰক্ষণৰ এই সুবিধা গ্ৰহণ কৰিবলৈ তেওঁ পৰমাৰ্শ আগবঢ়াইছিল। কিন্তু তেওঁৰ পৰামৰ্শ সন্মিলনৰ নেতাসকলে মানি নোলোৱাত ভীমবৰ দেউৰী সন্মিলনৰ পৰা আঁতৰি আহিল।[১৯] ইয়াৰ পিছত ১৯৩৩ খ্ৰীঃত ভীমবৰ দেউৰীৰ উদ্যোগত যেতিয়া অসম ট্ৰাইবেল লীগ গঠন হ'ল চুতীয়া সন্মিলনে সেই লীগতো যোগদান নকৰিলে কাৰণ, তেওঁলোকে নিজে দাবী কৰি অহা হিন্দু-ক্ষত্ৰিয় মৰ্যদাৰ পৰা আঁতৰি আহিব খোজা নাছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ চলি থকা অৱস্থাত ১৯৪২ খ্ৰীঃত অসমৰ জনজাতীয় বিশিষ্ট ব্যক্তিসকল একগোট হৈ যেতিয়া গঠন কৰিলে 'অসম ট্ৰাইবেল লীগ', তেতিয়া চুতীয়াসকলে নিজৰ ভুল

[১৭] বেণুধৰ ৰাজখোৱা, সভাপতিৰ অভিভাষণ, অসম কছাৰী যুৱ সন্মিলন, ডিব্ৰুগড়, ১৯২৯, পৃঃ ৮, ১০

[১৮] কমলাৱতী দেউৰী, "মোৰ সংঘাত বহুল জীৱন আৰু স্বামীৰ স্মৃতি ৰোমন্থন", কোযেশ্বৰ বৰুৱা, **জননেতা ভীমবৰ দেউৰী**, গহপুৰ, ২০০২, পৃঃ ৯১

[১৯] কুলধৰ চুতীয়া, **চুতীয়া জাতি সন্মিলন, অসমৰ বিশিষ্ট সংগঠকসকল আৰু চমু কাৰ্য্যাৱলী**, স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী, কমাৰবন্ধা অধিবেশন, পৃঃ ৪



বুজিব পাৰি সেই সংগঠনত যোগদান কৰিলে। চুতীয়া সন্মিলনৰ ডিব্ৰুগড় অধিবেশনৰ সম্পাদক তিলেশ্বৰ হাজৰিকা ট্ৰাইবেল লীগৰ কাৰ্যকৰী সমিতিৰ সদস্য আছিল। কিছু কাল পিছত ট্ৰাইবেল লীগৰ পৰাও চুতীয়াসকল আঁতৰি আহিল। ইয়াৰ সম্ভৱতঃ দুটা কাৰণ আছিল। প্ৰথম, তেওঁলোকৰ নিজৰ দাবী অনুসৰিয়েই চাইমন কমিচনৰ ৰিপৰ্টত তেওঁলোকক জনজাতি বুলি চিহ্নিত কৰা নহ'ল। দ্বিতীয়, চুতীয়া সন্মিলন আছিল কংগ্ৰেছৰ সমৰ্থক, আনহাতে ৰাজনৈতিক কাৰণতে ট্ৰাইবেল লীগে সমৰ্থন কৰিছিল মুছলিম লীগক। এই ঘটনাৰ বহু বছৰৰ পিছত চুতীয়া সন্মিলনৰ নেতাসকলে উপলব্ধি কৰিলে যে জনজাতিৰ তালিকাত অন্তৰ্ভূক্ত হোৱাৰ বাহিৰে তেওঁলোকৰ উন্নতিৰ বিকল্প পথ নাই, সেই অনুসৰি ১৯৭৯ খ্ৰীঃত চুতীয়া সন্মিলনে চুতীয়াসকলক জনজাতিৰ তালিকাত অন্তৰ্ভূক্তিৰ দাবী তোলে। তেতিয়াৰ পৰা আজিৰ তাৰিখলৈকে এই দাবী বাস্তৱ ৰূপ দিবলৈ তেওঁলোকে অবিৰত সংগ্ৰাম চলাই আছে। এই সম্পৰ্কে এইখন গ্ৰন্থৰ শেষৰ অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

## দেউৰী চুতীয়া

দেউৰীসকল চুতীয়াৰ পুৰোহিত আছিল। দেউৰী শব্দই দেৱকাৰ্য কৰা লোকক বুজায়, অৰ্থাৎ যিসকল লোক দেওশালৰ বা দেৱ-দেৱীৰ মন্দিৰৰ অধিকাৰী বা পূজাৰী তেওঁলোকেই দেউৰী। 'চুতীয়া ভাষাত 'দে' মানে ডাঙৰ, সন্মানিত বা গুণী; 'উ' আৰু 'ৰী' যে যথাক্ৰমে পুৰুষ আৰু প্ৰকৃতি বুজায়, অৰ্থাৎ সন্মানিত গুণী পুৰুষ-প্ৰকৃতি। প্ৰকৃতাৰ্থত চুতীয়াসকলৰ ভিতৰত যি কেইজন ডাঙৰ, গুণী-মানী মানুহ আছিল তেওঁলোকক দেওশালবোৰৰ পৰিচালনাৰ বাবে দায়িত্বভাৰ দিয়া হৈছিল আৰু তেওঁলোকক দেউৰী বুলিছিল।'[১]

এই সংক্ৰান্তত ডম্বৰুধৰ দেউৰীয়ে এনেদৰে কৈছে - 'চুতীয়াৰ ভিতৰত জনা-বুজা বিধান আৰু শ্ৰেষ্ঠবিলাকেই দেউৰী নাম লৈ গোঁসাই-গোঁসানীৰ পূজা-সেৱা চলাইছিল। দেউৰী শব্দৰ আচল অৰ্থ কি এতিয়াও জানিব পৰা নাই। অতি সংক্ষেপে এই যে, দেৱতাৰ বিষয়ে ভালকৈ জানে আৰু পালিব পাৰে কাৰণেই দেউৰী বুলি কোৱা হয়। ভালকৈ দেওপূজা কৰিব জনা হেতুকেই দেউৰী নাম পায় বুলিও বহুতে কয়। তেওঁবিলাকে যে ভালকৈ দেৱ-দেৱী পূজা কৰিব জানিছিল তাৰ প্ৰমাণ সিবিলাকৰ উৎপত্তি বিৱৰণটোৱেই দিয়ে।'[২]

[১] [illegible] শইকীয়া, **দেউৰী চুতীয়া**, যোৰহাট, ১৯৭৪, পৃঃ১

[২] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৫

প্ৰাগ্‌জ্যোতিষতে ব্ৰহ্মাই প্ৰথম জ্যোতিষ চৰ্চা কৰিছিল।[১৫] প্ৰকৃততে পিছৰ কথাটো দেশখনৰ অনাৰ্য নামটো আৰ্যীকৃত কৰিবৰ সময়ত উদ্ভাৱন কৰা এটা উপকথা।

খ্ৰীষ্টীয় চতুৰ্থ শতিকামানৰ পিছৰপৰা কামৰূপ নামটো প্ৰাগজ্যোতিষ নামৰ লগত কেতিয়াবা একেলগে আৰু কেতিয়াবা স্বতন্ত্ৰভাৱে ব্যৱহাৰ হোৱা দেখা যায়। গুপ্ত সম্ৰাট সমুদ্ৰগুপ্ত (আনুঃ ৩২০-৩৮০)ৰ এলাহাবাদৰ বিখ্যাত স্তম্ভলিপিত এই কামৰূপ নামটো প্ৰথম খোদিত কৰা হৈছে। খ্ৰীষ্টীয় তেৰ-চৈধ্য শতিকালৈকে এই নামেৰেই প্ৰাচীন ৰাজ্যখনক জনা গৈছিল। বৰ্তমান কামৰূপ জিলাৰ নামটো প্ৰাচীন কামৰূপ নামৰেই অৱশিষ্ট মাথোন। এই নামটো অনাৰ্য মূলৰ পৰাই উদ্ভৱ হৈছে। **গোপথ ব্ৰাহ্মণ**ত লিপিবদ্ধ কৰা আখ্যানমতে শিৱৰ দাবানলত পতিত হৈ হিন্দুসকলৰ প্ৰেমৰ দেৱতা কামদেৱ ভস্মীভূত হয়। পিছত কামদেৱৰ পত্নী ৰতিৰ প্ৰাৰ্থনাত, শিৱই তেওঁক পুনৰ জীৱন দান কৰে। সেই কাৰণেই প্ৰাগ্‌জ্যোতিষৰ নাম কামৰূপ হয়।[১৬] বাণীকান্ত কাকতিৰ মতে, **কামৰূপ** শব্দটো চাম্ভালী ভাষাৰ **কামৰু** বা **কামৰু**ৰপৰা আহিছে - ইয়াৰ অৰ্থ যাদু বা প্ৰেতাত্মা আহ্বান কৰা বিদ্যা।[১৭] গতিকে অনুমান হয় যে মূল থলুৱা সংস্কৃতিৰ ৰূপান্তৰ ঘটাই নতুন এক সংস্কৃতিৰ অৱতৰণ প্ৰক্ৰিয়াৰ ফলতেই কামৰূপ নামৰ উৎপত্তি।

বহুতো পণ্ডিতৰ মতে প্ৰাগজ্যোতিষ্ ৰাজ্য ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত নাছিল। কোনো কোনোৰ মতে এই ৰাজ্য আছিল ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত, কোনোৰ মতে কাথিৱাৰত আৰু কোনোৰ মতে পঞ্জাৱত।[১৮] অকল প্ৰাগ্‌জ্যোতিষৰ ক্ষেত্ৰতেই নহয়, অসমৰ অন্যান্য বহুতো ঠাইৰ নামো ভাৰতৰ ভিন্ ভিন্ অঞ্চলত পোৱা যায়। যেনে, চুতীয়াসকলৰ পুৰণি ৰাজ্যৰ নাম আছিল বিদৰ্ভ। ইয়াৰ অৱস্থিতি আছিল সদিয়া অঞ্চলত। আনহাতে, দাক্ষিণাত্যৰ বেৰাৰতো বিদৰ্ভ নামৰ এখন ৰাজ্য আছিল। ইয়াৰ অন্তৰালত আৰ্য সংস্কৃতি বিস্তাৰৰ কথা জড়িত হৈ আছে। যি যি অঞ্চললৈ আৰ্য সংস্কৃতিৰ বিস্তাৰ হৈছিল সেই অঞ্চলৰ সাংস্কৃতিক গাঁথনি আৰু শাসকগোষ্ঠীৰ স্বাৰ্থত আৰ্যসংস্কৃতিৰ লগত জড়িত কিছুমান ঠাইৰ নামেৰে সেই অঞ্চলবিলাকক নতুনকৈ নামকৰণ কৰা হৈছিল আৰু সেই নামকৰণৰ লগত মিলাকৈ শাসকগোষ্ঠীৰ পৰিয়ালৰ স্বাৰ্থত কিছুমান কাহিনী সৃষ্টি কৰা হৈছিল।

খ্ৰীষ্টীয় তেৰ শতিকাৰ আগভাগত উত্তৰ ব্ৰহ্মদেশৰ পৰা টাই-শান গোষ্ঠীৰ আহোমসকল আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ-পূব কোণত থিতাপি লয়। কালক্ৰমত তেওঁলোকে এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী কালত এই ৰাজ্যৰ প্ৰসাৰণ ঘটি পশ্চিমে

---

[১৫] *ibid.*
[১৬] *ibid.*, p. 35.
[১৭] B. K. Kakati, **Assamese : Its Formation and Development**, Guwahati, 1972, p. 49.
[১৮] Choudhury, op. cit. pp.36f.



মানাহ নদী পৰ্যন্ত বিস্তৃতি লাভ কৰে। সম্ভৱতঃ যোল্ল-সোতৰ শতিকাৰপৰা আহোমসকলৰ অধিকৃত অঞ্চলটো অসম নামেৰে জনাজাত হয় আৰু কালক্ৰমত এই নামে প্ৰাগজ্যোতিষ্-কামৰূপ নামৰ অৱলুপ্তি ঘটায়। **অসম** নামৰ উৎপত্তি সম্পৰ্কেও পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। বুৰঞ্জীত আছে যে আহোমসকলৰ বন্ধুত্বপূৰ্ণ ব্যৱহাৰত মুগ্ধ হৈ থানগিৰি মৰাণ-বৰাহীসকলে কৈছিল, 'ইহঁত দেও-সঁচ মানুহ, ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ, এইৰূপে ৰাজ্যত কৈ ফুৰাতে অসম নাম খ্যাত হল দেখি, তেতিয়াৰে পৰা ৰজা ও লগত অহা প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেস হল কাৰন অসমৰ দেস বোলে', অৰ্থাৎ তেওঁলোক অসম আৰু ইয়াৰপৰাই **অসম** নামৰ উৎপত্তি।[১৯] গেইট চাহাবেও এই মতকে সমৰ্থন কৰি কৈছে, অসমৰ অৰ্থ হ'ল পৰাক্ৰমী বা যাক সহজে পৰাভূত কৰিবপৰা নাযায়।[২০] বাণীকান্ত কাকতিৰ মতে, **অসম** শব্দটো টাই ভাষাৰ **আচাম** শব্দৰ সংস্কৃতকৰণহে। ইয়াৰ অৰ্থ হ'ল উত্তম বা অতুলনীয়।[২১] বডেন পাৱেলে তেওঁৰ **Indian Village Community** নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে অসম নামটো বড়ো ভাষাৰ শব্দ 'হা-চোম'ৰপৰা আহিছে।[২২] ইয়াৰ অৰ্থ দ-মাটি। এই প্ৰতিটো মতৰে নিজস্ব যুক্তিযুক্ততা আছে। কিন্তু এইটো কথা ঠিক যে অসম শব্দই প্ৰথমে আহোমসকলক বুজাইছিল আৰু পিছৰফালে আহোমৰ ৰাজ্যখনকো অসম বুলি কোৱা হৈছিল।

আজিৰ অসম ৰাজ্যখন পুৰণি প্ৰাগজ্যোতিষ্ বা কামৰূপ ৰাজ্যৰ এটা ক্ষুদ্ৰ অংশ মাথোন। আনহাতে, এই ৰাজ্যৰ প্ৰাচীন সীমা স্পষ্টভাৱে কোৱা টান, কাৰণ, বিভিন্ন সময়ত ইয়াৰ, বিশেষকৈ পশ্চিম সীমাৰ পৰিবৰ্তন হৈ আছিল। **মহাভাৰত**ত উল্লেখ আছে যে প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্তৰ সেনাবাহিনীত উত্তৰৰ পাহাৰীয়া চীনা আৰু দক্ষিণ সাগৰৰ তীৰৰ কিৰাটসকল আছিল।[২৩] ইয়াৰপৰা অনুমান হয় যে মহাভাৰতৰ যুগত প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ পূব সীমা চীনদেশৰ সীমা পৰ্য্যন্ত বিস্তৃত আছিল আৰু দক্ষিণফালে তেতিয়াৰ সাগৰৰ তীৰৱৰ্তী ঠাই শ্ৰীহট্ট, ত্ৰিপুৰা, মৈমনচিং আদিকো সামৰি লৈছিল।[২৪] **ৰামায়ণ**ৰ কিষ্কিন্ধ্যা কাণ্ডত প্ৰাগ্‌জ্যোতিষ ৰাজ্য সাগৰৰ তীৰৱৰ্তী বৰাহ পৰ্বতৰ ওপৰত অৱস্থিত বুলি কোৱা হৈছে।[২৫] এই বৰাহ পৰ্বতেই অসম পৰ্বতমালা আৰু উল্লেখিত

---

[১৯] কাশীনাথ তামূলীফুকন, **অসম বুৰঞ্জী সাৰ**, সম্পাদিত প্ৰতাপ চন্দ্ৰ চৌধুৰী, গুৱাহাটী ১৯৬৪, পৃঃ ১০।
[২০] Edward Gait, **A History of Assam**, Gauhati, 1981, pp.245f.
[২১] Op. cit. pp. 3f
[২২] London, 1896, p.135.
[২৩] K. L. Barua, **Early History of Kamarupa**, Guwahati, 1966, p.1.
[২৪] ibid., p. 2.
[২৫] cf. Choudhury, op. cit, p.37

বাণীকান্ত কাকতিৰ মতে, সংস্কৃত শব্দ ‘দেৱগৃহিক’ৰ পৰা ‘দেউৰী’ শব্দৰ উৎপত্তি হৈছে।[৩] হেমকোষ অভিধানৰ মতে ‘দেউৰী’ শব্দৰ অৰ্থ দেৱালয়ৰ বিষয়া বিশেষ; দেৱতাৰ প্ৰসাদ বিলাই দিওঁতা।[৪] চুতীয়াসকলৰ তাম্ৰেশ্বৰীৰ মন্দিৰৰ বাহিৰেও গুৱাহাটীৰ কামাখ্যা মন্দিৰতো দেউৰী বুলি ধৰ্মকাৰ্যত লগা এক শ্ৰেণী সন্মানিত মানুহ এতিয়াও আছে। নামঘৰবিলাকতো মাহ-প্ৰসাদ বিলোৱা ভকতজনক দেউৰী বোলা হয়।

ব্ৰাউনে তেওঁৰ **An Outline Grammar of the Deor-Chutiya Language** নামৰ গ্ৰন্থত দেউৰী-চুতীয়াসকলৰ পৰিচয় দিবলৈ গৈ কৈছে যে তেওঁলোক বৰ্তমান উজনি অসমৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত বসতি কৰা এটা সৰু আৰু আছুতীয়াকৈ থকা জনজাতি। তেওঁলোকৰ নামটোৱেই সূচায় যে তেওঁলোক চুতীয়াসকলৰ পুৰোহিত আছিল।[৫]

দেউৰীসকলে কেনেকৈ পুৰোহিতৰ অধিকাৰ পালে সেই সম্পৰ্কে চুতীয়াসকলৰ মাজত এটা জনশ্ৰুতি প্ৰচলিত আছে। সেই মতে, এসময়ত শিলামূৰ্ত্তিৰূপী মহামায়া গোঁসানী দিবং নদীত উপঙি আছিল। বহুতো হিন্দু আৰু অন্যান্য জনগোষ্ঠীৰ লোকে গোঁসানীক তাৰপৰা নিবলৈ চেষ্টা কৰি বিফল হোৱাত চাৰিজন চুতীয়া লোকে গা-পা ধুই শুচি-সংযম হৈ মাতৃক তুতি-মিনতি কৰি দোলাত তুলি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপিলে। তেতিয়াৰ পৰাই সেই গোঁসানীৰ পূজাৰ দায়িত্ব সেইকেইজন চুতীয়া লোকৰ ওপৰতেই পৰিল আৰু সেই চুতীয়াসকলৰ পুৰোহিত দেউৰী বংশধৰসকলেই সদিয়াৰ চাৰিখন দেৱালয়ৰ পূজাৰী হ’ল। “কালক্ৰমত সেই চুতীয়াৰ পুৰোহিত দেউৰীৰ মূলোদ্ভৱ গুৰি-গোষ্ঠীৰেপৰা ক্ৰমান্বয়ে বাঢ়ি সৰহ হোৱা পৰিয়ালৰ সতি সন্ততিবিলাককেই দেউৰী সম্প্ৰদায় বোলে।”[৬]

তাম্ৰেশ্বৰী মন্দিৰৰ পূজা দেউৰীসকলৰ হাততেই ন্যস্ত আছিল আৰু এই মন্দিৰত ব্ৰাহ্মণসকলে কোনো দিনে পূজা-পাতল কৰা নাছিল। আনকি চুতীয়া ৰাজ্য পতনৰ পাছতো এই মন্দিৰৰ পূজা-সেৱা তেওঁলোকে কৰিছিল আৰু তাৰ বাবে আহোম স্বৰ্গদেৱসকলে যাৱতীয় সকলো খৰচ বহন কৰিছিল।[৭] চুতীয়া ৰজাসকলে দেউৰীসকলক বৰ সন্মান

[৩] **Mother Goddress Kamakhya**, Gauhati, 2004, p.62

[৪] পৃঃ ৫১৫

[৫] The Deori-Chutiyas are a small and secluded tribe in the Lakhimpur and Sibsagar districts of Upper Assam ... As the name implies, they are the representatives of the priestly or levite class among the Chutiyas ..., Shillong, 1895, Introduction, p.i.

[৬] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৬

[৭] ঐ, পৃঃ ৪৭



কৰিছিল। আহোম স্বৰ্গদেৱসকলে সেই পৰম্পৰা ৰক্ষা কৰি চলিছিল। প্ৰতি বছৰে ৰজাক আশীৰ্বাদ দিবলৈ দেউৰীসকল সদিয়াৰ পৰা আহিছিল। স্বৰ্গদেৱসকলে তেওঁলোকৰ লগত অতি সন্মানেৰে কথা-বতৰা পাতি পুৰস্কাৰ দি বিদায় দিছিল।[৮] সদিয়াৰ বুঢ়া-বুঢ়ী থানৰ পূজা এতিয়াও দেউৰীসকলৰ হাততেই আছে।

আহোম চুতীয়াৰ যুদ্ধৰ পাছত চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলক আহোম ৰজাই যথাযোগ্য সন্মানেৰে পুনৰ তাম্ৰেশ্বৰী, বুঢ়া-বুঢ়ী আদি দেৱালয়ৰ পূজা-পাতলৰ দায়িত্ব অৰ্পণ কৰে। বাকী চুতীয়াসকলক আহোম ৰাজ্যখনৰ বিভিন্ন ঠাইত বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত খেল বন্ধিয়াকৈ প্ৰতিষ্ঠা কৰে। ফলত দেউৰীসকলে পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি চলাত অসুবিধা নহ’ল। অন্যহাতে অন্যান্য চুতীয়াসকলে ভিন্ন ঠাইৰ ভিন্ন জনগোষ্ঠীৰ লগত নতুন পৰিবেশ আৰু পৰিস্থিতিৰ তাগিদাত ভাষা, ধৰ্ম, সাংস্কৃতিক আৰু সামাজিক সমন্বয়ৰ যোগেদি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ পৰিল। ৰাজনৈতিক প্ৰতিবন্ধক তথা ভৌগলিক আৰু সামাজিক বিচ্ছেদৰ ফলত এসময়ৰ নিকট জাতি-ভাই তথা পুৰোহিত দেউৰী আৰু চুতীয়াসকলৰ মাজৰ পূৰ্বৰ সম্বন্ধ অটুত ৰখাটো অসম্ভৱ হৈ পৰিল। কালক্ৰমত দেউৰী আৰু চুতীয়া দুটা ভিন্ন গোষ্ঠীত পৰিগণিত হয়।

পৰৱৰ্তী কালত চুতীয়াসকলে শংকৰদেৱৰ প্ৰৱৰ্ত্তিত মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰি বৈষ্ণৱধৰ্মী হয়। সময়ত দেউৰীসকলৰ ওপৰতো এই ধৰ্মৰ প্ৰভাব পৰিল আৰু তেওঁলোকৰ কোনো কোনোৱে মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰি দেওশালৰ পূজাৰপৰা আঁতৰি আহি নামঘৰত ঈশ্বৰৰ নাম লৈ অসমীয়া হিন্দু সমাজৰ ভিতৰুৱা হৈ পৰিল।[৯] ১৮৯১ চনৰ লোকপিয়লত উল্লেখ আছে যে দহ বছৰৰ আগতে দেউৰীসকল হিন্দু ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱা নাছিল কিন্তু এই দহটা বছৰৰ ভিতৰত এই পুৰোহিত শ্ৰেণীটো হিন্দু ধৰ্মৰ গ্ৰাসত পৰে আৰু তেওঁলোকৰ অনেকেই টীয়কৰ মাহৰা গোসাঁইৰ শিষ্যত্ব গ্ৰহণ কৰিলে।[১০] অৱশ্যে হিন্দু ধৰ্ম গ্ৰহণ কৰিলেও তেওঁলোকে পুৰণি ধৰ্ম বিশ্বাস আৰু ৰীতি-নীতি সম্পূৰ্ণ বাদ দিয়া নাই।

চুতীয়াসকলৰ আদিম ধৰ্ম বিশ্বাস দেউৰীসকলেই ৰক্ষা কৰি আহিছে। সেই বিশ্বাস মতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ মূলতেই আছে এক অচিন্ত্য-অব্যক্ত মহাশক্তি। সেই মহাশক্তি হ’ল কুণ্ডিমামা অৰ্থাৎ আদি পুৰুষ আৰু প্ৰকৃতি। এই নিৰঞ্জন নিৰাকাৰ পৰম পুৰুষ আৰু পৰম প্ৰকৃতি অবিহনে জগতখন প্ৰকাশ হ’ব নোৱাৰে। কুণ্ডিমামাৰ পূজা হৈছে বিশ্ব সৃষ্টিৰ আধাৰ শক্তিৰ উপাসনা। এই কুণ্ডিমামাক তেওঁলোকে গিৰা-গিৰাচী বা বুঢ়া-বুঢ়ী

[৮] সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৭১৭

[৯] পৰৱচন্দ্ৰ শইকীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৪

[১০] Census Report of India, 1891, Assam, Vol. I., Chapter X, p. 62

বুলি কয়। দেউৰীসকলৰ মতে এই বুঢ়া-বুঢ়ী হিন্দুসকলৰ শিৱ আৰু শক্তি। অনেকৰ মতে কুণ্ডিমামা নামৰ পৰাই কুণ্ডিল বা কৌণ্ডিল্য নামৰ উৎপত্তি হৈছে।[11]

দেউৰীসকল চাৰি খেলত বিভক্ত, যেনে - টেঙ্গাপনীয়া, বৰগঞা, দিবঙ্গীয়া আৰু পাটৰ গঞা। তেওঁলোকৰ থকা ঠাই আৰু আৰাধ্য দেৱ-দেৱীৰ নাম অনুসৰি এই খেলবিলাকৰ নাম হৈছে। দিবঙ্গীয়া খেলে দিবাং নৈৰ পাৰত, টেঙ্গাপনীয়া খেলে টেঙ্গাপানী নৈৰ পাৰত, বৰগঞা খেলে বৰপানী বা বৰগাং নৈৰ পাৰত আৰু পাটৰ গঞাসকলে পাট সদিয়াত থকাৰ কাৰণে এই নাম পায়।[12]

টেঙ্গাপনীয়াসকলে কেঁচাইখাঁতীক, বৰগঞাসকলে বলিয়া বাবাক বা বলিয়া হেম্‌টাক, আৰু দিবঙ্গীয়াসকল বুঢ়া-বুঢ়ী পূজাৰ তত্বাৱধানত আছিল। পাটৰ গঞা ফৈদটো পশ্চিমৰ ফালে আহি হেৰাই গ'ল বুলি চুতীয়াসকলৰ মাজত জনশ্ৰুতি আছে।

১৮৮১ চনৰ লোকপিয়ল মতে দেউৰীসকলৰ মাজত ১২ টা ফৈদ আছে।[13]

| | |
|---|---|
| ১। আইৰিয় (Airio) | ২। চুন্দাৰী (Sundari) |
| ৩। পাত্ৰী (Patri) | ৪। চিটিগা (Seitiga) |
| ৫। ম'ৰা (Mora) | ৬। তেহাৰিয়া (Tehario) |
| ৭। ক'মতা (Komota) | ৮। লেগাছু (Legaso) |
| ৯। লুপাই (Lupai) | ১০। কোমা (Kuma) |
| ১১। কলিয়াচ'কু (Koliassoko) | ১২। চুক্ৰাং (Sukrang) |

এই ১২টা ফৈদে অৱশ্যে দিৱঙ্গীয়া ফৈদটোহে সামৰিছে। গতিকে এই তালিকাখন সম্পূৰ্ণ বা একেবাৰে শুদ্ধ নহয়। এই প্ৰসঙ্গত ডম্বৰুধৰ দেউৰীয়ে দিয়া বিৱৰণটোহে বেছি নিৰ্ভৰযোগ্য। সেইমতে দিবঙ্গীয়া খেলৰ ১২ টা ফৈদ, টেঙ্গাপনীয়াৰ সাতোটা আৰু বৰগঞাৰ ছটা ফৈদ আছে। এই আটাই কেইটা ফৈদৰ নাম তলত দিয়া হ'ল -

১) দিৱঙ্গীয়া বা জিমচাৰু ঃ -

| | |
|---|---|
| ১। সুন্দাৰী - বৰদেউৰী, | ২। পাত্ৰীয় - সৰুদেউৰী, |
| ৩। আইৰীয় - ভঁড়ালী, | ৪। ছাৰিয় - বৰা, |
| ৫। চিটিগায় - ভোগ ৰান্ধনী, | ৬। কোমটায়, |
| ৭। চুক্ৰাংয়, | ৮। ধূপীয়ায়, |
| ৯। মূৰায়ং, | ১০। কুমাৰায়, |
| ১১। লাগচুয় আৰু | ১২। কলিয়াচকুয়। |

২) টেঙ্গাপনীয়া ঃ -

| | |
|---|---|
| ১। মাচীয়টিকা - বৰদেউৰী, | ২। বিকৰমীয়াটিকা-সৰুদেউৰী, |
| ৩। খুটীয়টিকা - ভড়াঁলী, | ৪। চাকো-চাৰুটিকা, |
| ৫। পাগীমেগেৰাটিকা, | ৬। ফাঁপৰীয়াটিকা আৰু |
| ৭। চেনাবাৰিয়টিকা। | |

৩) বৰগঞা বা মিদিয়া ঃ -

| | |
|---|---|
| ১। ইকুচাৰু - বৰদেউৰী, | ২। চিমুচাৰু - সৰুদেউৰী, |
| ৩। হিজাৰু - বৰভঁড়ালী, | ৪। বুশাৰু - বলিমৰা, |
| ৫। লুফাৰু - বৰা আৰু | ৬। গোচাৰু |

- চাৰি ফৈদৰ ভিতৰত এফৈদ লোপ পালে।[14]

দেউৰী পুৰোহিতসকলৰ দুটা শ্ৰেণী আছিল - দেউৰী আৰু ভঁৰালী আৰু প্ৰতিটো ফৈদ বা খেলৰে একোজন দেউৰী আৰু একোজন ভঁৰালী আছিল। দেউৰীসকলৰ মাজতো আকৌ বৰদেউৰী আৰু সৰুদেউৰী আৰু ভঁৰালীসকলৰো বৰভঁৰালী আৰু সৰুভঁৰালী দুটা শ্ৰেণী আছিল। মুঠতে প্ৰতিটো ফৈদৰ নিৰ্দিষ্ট পূজা-সেৱাৰ বাবে চাৰিজনকৈ পূজাৰী আছিল। এজনৰ পিছত আন এজন পূজাৰী সেই ফৈদৰ পৰা নিৰ্বাচন কৰি লোৱা হৈছিল। এই বাচি লোৱা পূজাৰীৰ কোনো কাৰণ বশতঃ কিবা লেঠা হ'লে তেওঁৰ কাম সিজনে চলাব পাৰিছিল। এই নিয়ম আজিও প্ৰচলিত।[15]

দেউৰী-চুতীয়া সমাজত একোটা ফৈদ বা বংশৰ লোকসকলৰ মাজত ককাই-ভাইৰ সম্পৰ্ক, গতিকে একেটা বংশৰ ভিতৰত কেতিয়াও বৈবাহিক সম্পৰ্ক হ'ব নোৱাৰে। বংশৰ কোনো এঘৰত জন্ম বা মৃত্যুৰ অশৌচ লাগিলে গোটেই বংশৰ মানুহে মানিব লাগে।

দেউৰী-চুতীয়াসকল পুৰোহিত শ্ৰেণীৰ হোৱা হেতুকে তেওঁলোকে সাধাৰণ চুতীয়া লোকসকলৰ দৰে অন্যান্য জনগোষ্ঠীৰ লগত সচৰাচৰ বৈবাহিক সম্বন্ধ স্থাপন নকৰিছিল। দেউৰীয়েই হওক, ব্ৰাহ্মণেই হওক নতুবা দেওধাই-বাইলুঙেই হওক; সমাজৰ পুৰোহিত শ্ৰেণীটো সাধাৰণতে ৰক্ষণশীল হোৱা দেখা যায়। পূৰ্বৰ ৰীতি-নীতি খামোচ মাৰি ধৰি ৰখাটো পুৰোহিত শ্ৰেণীৰ বৈশিষ্ট্য। সেইবাবে চুতীয়াসকলৰ আদিম ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদি তেওঁলোকৰ মাজতহে প্ৰায় অপৰিৱৰ্তিত ৰূপত আজিও জীয়াই আছে। চুতীয়াসকলৰ আদিম জনজাতীয় ভাষাটোও দেউৰীসকলৰ দিবঙীয়া খেলটোৱেহে আজিলৈকে সংৰক্ষণ কৰি আছে।

চুতীয়াসকল বৃহত্তৰ অসমীয়া সমাজৰ লগত মিলি গ'ল যদিও বৰ্তমানেও তেওঁলোকৰ মাজত কিছুমান পূৰ্বৰ পৰম্পৰা প্ৰচলন থকা দেখা যায়। কিছুমান ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত এই দুই সম্প্ৰদায়ৰ মাজত বহুখিনি

---

[11] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ১০

[12] ঐ, পৃঃ ১৪-১৫

[13] Census Report, 1881, Vol. III, Part VA, p.17

[14] **দেউৰী সংস্কৃতি**, পৃঃ ১৫-১৬

[15] **দেউৰী-সংস্কৃতি**, পৃঃ ১৪; সৰ্বানন্দ ৰাজকুমাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭১৬

মিল দেখা যায়। সাজপাৰ, বিবাহ পতা আৰু বিহু পালনৰ কেতবোৰ নিয়ম, কিছুমান সকাম (যেনে - আই সকাম, অপেশ্বৰী সকাম, বুঢ়া ডাঙৰীয়া সকাম, ন-পুৰুষৰ সকাম, শ-দাহ, মৃতকৰ শ্ৰাদ্ধ), সঙ্গীত, লোক নৃত্য, বাদ্যযন্ত্ৰ, ঘৰ সজা নিয়ম, প্ৰচলিত ফকৰা যোজনা আৰু জনশ্ৰুতি আদিৰ ক্ষেত্ৰত দেউৰী আৰু চুতীয়াৰ মাজত বহুখিনি মিল আছে।

দেউৰী-চুতীয়াসকলৰ দৈহিক গঠনৰ বিষয়ে ১৮৮১ চনৰ লোকপিয়লত আছে যে, তেওঁলোক ওখ-পাখ, সুন্দৰ-সুঠাম দেহৰ মানুহ। কছাৰীসকলৰ সতে তেওঁলোকৰ চেহেৰা-পাতিৰ বহু মিল আছে। তেওঁলোকে সুৰা পান কৰিছিল আৰু গো-মাংসৰ বাহিৰে প্ৰায় সকলো মাংস ভক্ষণ কৰিছিল। কছাৰীসকলৰ দৰে তেওঁলোকেও গাখীৰ নাখাইছিল কিন্তু তেওঁলোকে ম'হ পুহিছিল আৰু গাখীৰৰ পৰা প্ৰস্তুত কৰা দ্ৰব্যৰ ব্যৱসায় কৰিছিল। তেওঁলোকে নিজৰ ভিতৰতে নিজ ভাষাৰে কথা-বতৰা পাতিছিল। কিন্তু অন্যান্য মানুহৰ লগত অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ মাজত বাল্য-বিবাহ বা বহু-বিবাহৰ প্ৰচলন নাছিল। সাধাৰণতে পিতৃ-মাতৃয়ে পুত্ৰ-কন্যাৰ বিয়াৰ বন্দবস্ত কৰিছিল। বিয়াত গা-ধন দিয়াৰ নিয়ম আছিল। কেতিয়াবা গা-ধনৰ মূল্য ১০০ টকা পৰ্যন্ত হৈছিল। ডেকা-গাভৰুৰ মনৰ মিল হ'লে পিতৃ-মাতৃয়ে সেই বিবাহ অনুমোদন কৰিছিল কিন্তু এনে বিৱাহতো দৰাই গা-ধন দিবলগীয়া হৈছিল।[১৬] তেওঁলোকৰ ডেকাসকলে ডেকা চাং বা এলেং ঘৰত ডেকা জীৱন কটাইছিল। এই এলেং ঘৰতেই ডেকাসকলে গাঁৱৰ প্ৰতিৰক্ষা আৰু ইয়াৰ উন্নতিৰ অৰ্থে মাৰ-বান্ধি থিয় হোৱাৰ উপৰিও বাঁহ-বেত, কাঠ আদিৰ কাম শিকিছিল আৰু সঙ্গীত-নৃত্য আদিৰো চৰ্চা কৰিছিল।[১৭]

দেউৰী-চুতীয়া গাঁৱৰ অধিবাসীসকলৰ মাজত গভীৰ মিলা-প্ৰীতি আছিল। এই সুস্থ পৰম্পৰা তেওঁলোকৰ মাজত আজিও জীয়াই আছে। গাঁৱৰ প্ৰত্যেকজন লোকেই এজনে আন এজনৰ লগত বা এটা পৰিয়ালে আন এটা পৰিয়ালৰ লগত এখন জালৰ দৰে সম্বন্ধৰ এনাজৰীৰে বান্ধ খোৱা।[১৮]

দেউৰীসকলে শৱ দাহ কৰে। যিকোনো অঘটন ঘটিলে গোঁসানীৰ নামত তেওঁলোকে কুকুৰা বা গাহৰি উছৰ্গা কৰিছিল। আগতে উল্লেখ কৰা হৈছে যে, কেঁচাইখাঁতী গোঁসানীৰ নামত সমূহ ৰাইজৰ কল্যাণৰ অৰ্থে বছৰি ব'হাগ বিহুৰ সময়ত তেওঁলোকে একোজন সুন্দৰ-সুঠাম অবিবাহিত ডেকাক বলি দিছিল। এই বলি জোৰ-জুলুমেৰে কৰা নহৈছিল। ৰাইজৰ কুশলৰ অৰ্থে নিজৰ জীৱন উছৰ্গা কৰিবলৈ নিজে ডেকাজন আগবাঢ়ি আহিছিল আৰু তেওঁৰ এই ত্যাগক অতি পৱিত্ৰ বুলি সমাজে গণ্য কৰিছিল। ৰুগীয়া,

[১৬] Cessus Report of India, 1881, Assam, Chapter II, p. 17
[১৭] পবন চন্দ্ৰ শইকীয়া, **দেউৰী-চুতীয়া**, পৃঃ ২৪
[১৮] ঐ, পৃঃ ২৬



বিকলাঙ্গ, গাত বসন্তৰ দাগ থকা, শিয়াল-কুকুৰে কামোৰা আদি যুৱক বলিৰ বাবে অনুপযুক্ত বুলি বিবেচিত হৈছিল।[১৯]

দেউৰী-চুতীয়াসকলে বুধবাৰৰ দিনটো শুভ বুলি জ্ঞান কৰিছিল। তেওঁলোকে মাঘী সংক্ৰান্তিত মাঘৰ বিহু (বিচু) নাপাতি মাঘ মাহৰ প্ৰথম বুধবাৰৰ দিনা এই বিহু পাতিছিল। তেনেকৈয়ে ব'হাগৰ বিহু (বিচু) চ'ত মাহৰ সংক্ৰান্তিৰ দিনা নাপাতি ব'হাগৰ প্ৰথম বুধবাৰে এই উৎসৱ উদ্‌যাপন কৰিছিল। এই পৰম্পৰা তেওঁলোকৰ মাজত এতিয়াও প্ৰচলিত।

দেউৰীসকলে কাঠ বাঁহেৰে সজা চাং ঘৰত বাস কৰিছিল। তেওঁলোকৰ যৌথ পৰিয়াল আছিল। একো-একোটা পৰিয়ালত ৬০-৭০ জন পৰ্যন্ত মানুহ আছিল বুলি জনা যায়। কিন্তু তেওঁলোকৰ সকলো কাম বৰ নিয়াৰিকৈ আৰু মিলা-প্ৰীতিৰে চলিছিল। গাঁও অঞ্চলত বাস কৰা দেউৰীসকলৰ প্ৰতি ঘৰতে ভঁৰাল, তাঁতশাল, ঢেঁকী-শাল আৰু ছাগলী, গাহৰি, কুকুৰা আদিৰ গঁৰাল আজিও দেখিবলৈ পোৱা যায়। ভঁৰাল ঘৰটো থকা ঘৰৰপৰা অলপ আঁতৰত সজা হয়। কাৰণ ইয়াক লক্ষ্মীদেৱীৰ (মিউচী) বাস বুলি তেওঁলোকে বিশ্বাস কৰে। গতিকে, তেওঁলোকে ভঁৰাল ঘৰটো পবিত্ৰ জ্ঞান কৰে। দেউৰী চুতীয়াসকলৰ পুৰুষ তিৰোতা উভয়ে বৰ কৰ্মী। তেওঁলোকৰ ঘাই জীৱিকা আছিল কৃষি। তিৰোতাসকল নিপুন শিপিনী আছিল। ঘৰত শিপিনীয়ে বোৱা বগা চুৰিয়া, বগা চেলেংহে পূজাৰ বা দেওঘৰৰ বিষয়াসকলে পূজা পাতলৰ সময়ত ব্যৱহাৰ কৰিছিল। বজাৰৰ কাপোৰ অপৱিত্ৰ বুলি মাংগলিক অনুষ্ঠানত ব্যৱহাৰ কৰা নহৈছিল।[২০]

চুতীয়া ৰাজ্য আহোমসকলৰ হাতলৈ যোৱাৰ পাছত আহোমসকলেও নৰবলি প্ৰথা মানি চলিছিল। পাছলৈ অৱশ্যে তেওঁলোকে প্ৰাণদণ্ডৰে দণ্ডিত লোককহে বলিৰ বাবে বিবেচনা কৰিছিল। গৌৰীনাথ সিংহৰ দিনত নৰবলি প্ৰথা সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ল।[২১] দেউৰীসকলে বিশ্বাস কৰে যে এই প্ৰথা বন্ধ কৰা বাবেই আহোম ৰাজত্বৰ পতন ঘটিল।[২২]

আহোম ৰাজত্বৰ শেষৰ ফালে ১৭৯৪ খ্ৰীষ্টাব্দ মানত খামতিসকলে সদিয়াখোৱা গোহাঁইক বধ কৰি সদিয়া অধিকাৰ কৰে। খামতিসকলৰ হাতৰপৰা আহোমসকলে সদিয়া পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। ইয়াৰ কেইবছৰমান পাছতেই আৰম্ভ হ'ল মানৰ আক্ৰমণ। ১৮১৭, ১৮১৯ আৰু ১৮২১ খৃঃত এবাৰ দুবাৰকৈ তিনিবাৰ মানে অসম আক্ৰমণ কৰি ৰাজ্যখনত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ১৮২৩ খৃঃৰপৰা তেওঁলোকৰ শাসন

[১৯] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৬৮
[২০] পৰনচন্দ্ৰ শইকীয়া, **দেউৰী-চুতীয়া**, পৃঃ ২৬
[২১] সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৪০০
[২২] ঐ

অসমত পুৰামাত্ৰাই চলিছিল। অৱশেষত ১৮২৬ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ব্ৰিটিছৰ অধীনলৈ যায়। এই দুৰ্যোগ আৰু অশান্তিৰ কালত দেউৰীসকলে নিজৰ স্থান সদিয়া এৰি উত্তৰ-লক্ষীমপুৰৰপৰা মাজুলী, দিক্ৰং নদীৰ পাৰ, চিচিমুখ আৰু যোৰহাটৰ বালিগাঁও মৌজাত থাকিবলৈ লয়।[২৩] বৰ্তমান লক্ষীমপুৰ, ধেমাজি, ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, শিৱসাগৰ আদি জিলাত দেউৰীসকলৰ বসতি আছে।

ইংৰাজ ৰাজত্বৰ বহু দিনৰ পাছত কিছুমান দেউৰী লোক পুনৰ সদিয়ালৈ ঘূৰি গৈছিল।[২৪] দেউৰী চুতীয়াসকলৰ মাজত সদিয়াৰ স্মৃতি আজিও বিৰাজমান। সদিয়া এৰি আহিবলগীয়া হোৱাত দেউৰীসকলে যি মানসিক বেদনা অনুভৱ কৰিছিল তাৰ প্ৰতিধ্বনি তেওঁলোকৰ মাজত প্ৰচলিত লোকগীতত শুনা যায়। উদাহৰণ স্বৰূপে -

.... .... ....
চাৰিশাললৈ চাই পঠিয়াওঁ
চাৰি পৰ্বতে লৰে ল' হয়া,
সদিয়া ৰাজলৈ চাই পঠিয়াওঁ
বুকুতে অগনি জ্বলে ল' হয়া।[২৫]
... ... ...

দেউৰী-চুতীয়াসকলে যতেই গাঁও পাতি থাকে তাতেই একোখন দেওশাল নিৰ্মাণ কৰি লয়। কাৰণ তেওঁলোকৰ বিশ্বাস মতে দেওশালতেই ৰাইজৰ মঙ্গলৰ বাবে দেৱতাক উপাসনা কৰা হয়। দিবঙ্গীয়া খেলৰ দেউৰীসকলে পুৰণি বুঢ়া-বুঢ়ী থানত বছৰেকীয়া সেৱা আজিও চলাই আছে। চূণপোৰাৰ ওচৰত বৰগঞাসকলে নতুনকৈ তাম্ৰেশ্বৰী মন্দিৰ নিৰ্মাণ কৰি তাতেই পূজা, উপাসনা কৰি আছে। অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ অন্তৰ্গত মাধৱপুৰত টেঙাপনীয়া খেলৰ দেউৰীসকলে বলীয়া বাবা থানৰ পূজা পাতল চলাই আছে। এইদৰে এতিয়াও দেউৰীসকলে পুৰণি কুণ্ডিল বা সদিয়াৰ লগত তেওঁলোকৰ সম্পৰ্ক কিছু পৰিমাণে হ'লেও জীয়াই ৰাখিছে।[২৬] চুতীয়াসকলে মহাপুৰুষীয়া বা একশৰণীয়া নাম-ধৰ্ম গ্ৰহণ কৰাৰ পাছত দেউৰীসকলৰ লগত তেওঁলোকৰ আগৰ ঘনিষ্ঠ সম্পৰ্কৰ বান্ধ ঢিলা হৈ পৰিল; কাৰণ এই ধৰ্মই এজন মাত্ৰ ঈশ্বৰ বিষ্ণু বা তেওঁৰ অৱতাৰ ৰাম বা কৃষ্ণৰ বাহিৰে অন্য কোনো দেব-দেবীৰ পূজা নামানে। ব্ৰিটিছ ৰাজত্বত নিজৰ জনজাতীয় মূলৰ পৰা আঁতৰি হিন্দু চুতীয়াসকলে নিজকে উচ্চ বৰ্ণৰ

[২৩] Assam District Gazetteers, Lakhimpur District, 1976, pp.136-137; Upendra Nath Goswami, **An Introduction to Deori Language**, 1994, p.3

[২৪] ভবানন্দ বুঢ়াগোঁহাই, **শদিয়াৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৮৩, পৃঃ ১৩

[২৫] **দেউৰী সংস্কৃতি**, পৃঃ ৫৩

[২৬] পৱনচন্দ্ৰ শইকীয়া, **দেউৰী চুতীয়া**, পৃঃ ৫৬



লোক বুলি দেখুৱাবলৈ গৈ দেউৰীসকলৰ পৰা আৰু এখোজ আঁতৰি আহিল। গুৰিতে একেটা জনগোষ্ঠীৰ হোৱা স্বত্বেও দেউৰীসকল বৰ্তমান সংৰক্ষণ প্ৰাপ্ত অসমৰ এটা জনজাতি আৰু চুতীয়াসকল অধিক পিছপৰা অন্যান্য শ্ৰেণীৰ (MOBC) তালিকাভুক্ত অৱশ্যে জনজাতীয় সংৰক্ষণ পাবৰ কাৰণে চুতীয়াসকলে ১৯৭৯ চনৰ পৰা আজি পৰ্যন্ত সংগ্ৰাম চলাই আছে।

## বৰাহী চুতীয়া

চুতীয়াসকলৰ আন এটা উল্লেখযোগ্য ভাগ হ'ল বৰাহী চুতীয়া। গুণাভিৰাম বৰুৱাই বৰাহীসকলক 'ছুটীয়াৰ এক উপজাতি মাত্ৰ' বুলি উল্লেখ কৰিছে।[১] চুতীয়াসকলৰ লগত তেওঁলোকৰ এটা মাত্ৰ পাৰ্থক্য আছিল। সেয়া হ'ল - চুতীয়াসকলে ছয় জাপ খৰি দি শৱ দাহ কৰাৰ পৰিবৰ্তে বৰাহীসকলে সাত জাপ দি শৱ দাহ কৰিছিল।[২] বৰাহী শব্দটোৰ উৎপত্তি সম্পৰ্কে সঠিককৈ জনা নাযায়। কোনো কোনোৰ মতে এই বংশৰ ৰজাসকলে বৰাহৰ মোহৰ মৰাইছিল আৰু সেইবাবে তেওঁলোকক বৰাহী বোলা হৈছিল।[৩] কিন্তু আজিলৈকে বৰাহী ৰজাই মৰা কোনো মোহৰ পোৱা হোৱা নাই অথবা সেই সংক্ৰান্তত কোনো নিৰ্ভৰশীল তথ্য নাই। সেইবাবে এই মত সহ্যহতে গ্ৰহণ কৰিব নোৱাৰি।

১৮৮১ চনৰ পিয়লৰ মতে, বৰাহৰ মাংস ভক্ষণ কৰিছিল কাৰণেই চুতীয়াসকলৰ এইটো ফৈদক বৰাহী বোলা হৈছিল।[৪] কিন্তু এই যুক্তিটো সমৰ্থনযোগ্য নহয়, কিয়নো চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলেও বৰাহৰ মাংস ভক্ষণ কৰিছিল আৰু সকলো জনজাতীয় লোকৰ মাজতে বৰাহৰ মাংস প্ৰিয় খাদ্য আছিল। জনজাতীয় লোকৰ কথা বাদেই, এটা সময়ত হিন্দু সমাজৰ অন্তৰ্ভুক্ত হোৱা লোকেও এই মাংস গ্ৰহণ কৰিছিল। অনন্ত কন্দলী বিৰচিত **কুমাৰ হৰণত** উল্লেখ আছে যে শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধক হৰণ কৰি আনি সখি উষাৰ হাতত গতাই চিত্ৰলেখা ৰন্ধা-বঢ়াত ব্যস্ত হৈ পৰিছিল। বিভিন্ন খাদ্যৰ ভিতৰত মূলাৰ লগত ৰন্ধা বৰাহৰ মাংসও আছিল। গতিকে বৰাহৰ মাংস ভক্ষণ কৰিছিল কাৰণেই বৰাহীসকলক তেনেদৰে নামকৰণ কৰা হৈছিল বুলি ভৱাৰ কোনো কাৰণ নাই। বিষ্ণুৰ বৰাহ অৱতাৰৰ লগত বৰাহী শব্দৰ উৎপত্তিৰ কিবা সম্পৰ্ক থাকিব পাৰে। মালিনীথানৰ ভগ্নাৱশেষৰ মাজত এটা বৰাহৰ মূৰ্ত্তিও পোৱা গৈছে। সম্ভৱতঃ

[১] আসাম **বুৰঞ্জী**, পৃঃ ১৬

[২] সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, পৃঃ ১৮

[৩] ভৱকান্ত চুতীয়া, পৃঃ ৩৫; খনিকৰ, পৃঃ ৩৪

[৪] Caste and Tribes, Census Report of India, Assam, 1881, p.16

বৰাহীসকলে এই দেৱতাৰ পূজা কৰিছিল আৰু সেই কাৰণেই তেওঁলোকক বৰাহী বোলা হৈছিল। প্রাক্ ঐতিহাসিক যুগৰ কামৰূপৰ ৰজা নৰকাসুৰ বিষ্ণুৰ বৰাহ অৱতাৰ আৰু ধৰিত্রীৰ সন্তান আছিল বুলি কোৱা হয়। সেইবাবে তেওঁক ভৌম নৰক বোলা হৈছিল। পাল বংশৰ ৰাজত্বৰ শেষৰ দুজন নৃপতি ইন্দ্রপাল আৰু ধৰ্মপালে বৰাহ আৰু শ্ৰী বৰাহ উপাধি লৈছিল।[৫] টলেমীৰ ভূগোলতো বাৰহাই (Barrhai) নামৰ এজাতি মানুহৰ উল্লেখ আছে।[৬] প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে এই বাৰহাই জাতিটোক বড়োসকলৰ লগত চিনাক্ত কৰিছে। যিহেতুকে বড়ো বুলি ক'লে অসমৰ সকলো কিৰাট লোককে বুজায়, সেইহেতু বাৰহাই শব্দই বৰাহী-চুতীয়াসকলক বুজাব পাৰে; কাৰণ চুতীয়াৰ বাহিৰে আন বড়ো গোষ্ঠীৰ লোকৰ মাজত বৰাহী নামৰ এটা ফৈদ নাছিল।

মাধৱ কন্দলিয়ে **সপ্তকাণ্ড ৰামায়ণ** বৰাহ ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল বুলি **লঙ্কাকাণ্ড**ৰ দুটা পদত উল্লেখ আছে -

> 'কবিৰাজ কন্দলিযে আমাকেসে বুলিকয়
> কৰিলোহো সৰ্বজন বোধে।
> ৰামায়ণ সুপয়াৰ শ্ৰী মহামাণিক্য য়ে
> বৰাহ ৰজাৰ অনুৰোধে।।'২৩

এই ৰজা মহামানিক্যক কোনোৱে কছাৰী,কোনোৱে জয়ন্তীয়া আৰু আন কোনোৱে ত্ৰিপুৰাৰ ৰজা বুলি চিনাক্ত কৰিব খোজে। কিন্তু এই যুক্তিৰ সমৰ্থনত নিৰ্ভৰযোগ্য তথ্য নাই। মাধৱ কন্দলি চৈধ্য শতিকাৰ কবি আছিল বুলি প্ৰায় সকলো পণ্ডিতে মানি লৈছে। শঙ্কৰদেৱৰ নিজৰ ৰচনাতে মাধৱ কন্দলিক পূৰ্ব কবি অপ্ৰমাদী বুলি কোৱা হৈছে আৰু তেওঁৰ প্ৰতি গুৰুজনাই গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

> পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলি আদি
> বিৰচিলা পদে ৰাম কথা।
> হস্তীৰ দেখিয়া লাদ শহা যেন কৰে মাৰ্গ
> মোৰ ভৈল তেহ্নয় অৱস্থা।।
> (ৰামায়ণৰ উত্তৰা কাণ্ড)

মাধৱ কন্দলিৰ ঘৰ কপিলী উপত্যকাৰ আলি পুখুৰীত আছিল। গতিকে তেওঁক পৃষ্ঠপোষকতা কৰা মহামাণিক্য নামৰ ৰজাজন চৈধ্য শতিকাৰ হ'ব লাগিব আৰু কপিলী উপত্যকাত তেওঁ ৰাজত্ব কৰিব লাগিব। কিন্তু সেই যুগৰ ইতিহাস অধ্যয়ন কৰিলে দেখা

[৫] ৰাজমোহন নাথ, 'মাধব কন্দলি আৰু বৰাহ ৰজা', **অঃ সাঃ সঃ প্ৰঃ**, ১০ম বছৰ, ৪ৰ্থ সংখ্যা, পৃঃ ৭৭; Dimbeswar Neog, **New Light on the History of Asamiya Literature**, Guwahati, 1962, p. 114.

[৬] cf. Choudhury, p.34.



যায় কছাৰী, জয়ন্তীয়া অথবা ত্ৰিপুৰাৰ ৰাজবংশ কাৰোৱেই তেতিয়া কপিলী উপত্যকাৰ ওপৰত দখল নাছিল। তদুপৰি এই ৰাজবংশৰ কাৰো মাজতে বৰাহী নামৰ ফৈদ নাছিল। কছাৰী ৰজাসকলে তেওঁলোকৰ শিলালিপি, তামৰ ফলি আদিত সদায় নিজকে 'হৈড়ম্বেশ্বৰ', 'হেড়ম্বাধীশ', 'হৈড়ম্বপতি' বুলিহে উল্লেখ কৰিছে আৰু কোনো কোনো ঠাইত নিজকে হাচেংচা বংশৰ অথবা চন্দ্ৰবংশী বুলি পৰিচয় দিছে। কিন্তু ক'তোৱেই তেওঁলোকে বৰাহ বা বৰাহী বুলি চিনাকী দিয়া নাই।

জয়ন্তীয়া ৰজাসকলৰ নিৰ্ভৰযোগ্য বংশাৱলী ষোল্ল শতিকাৰ আৰম্ভণিত ৰাজত্ব কৰা পৰ্বতৰাই (১৫০০-১৫১৫ খ্ৰীঃ)-ৰ পৰাহে আৰম্ভ হৈছে। ষোল্ল, সোতৰ শতিকাত নগাঁও জিলাৰ পশ্চিম আৰু লঙ্কা ডবকা অঞ্চলত জয়ন্তীয়াসকলে শাসন কৰিছিল বুলি প্ৰমাণ পোৱা গৈছে। কিন্তু আলি পুখুৰী অঞ্চলত তেওঁলোকৰ ৰাজ্য বিস্তৃত হোৱাৰ কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। তদুপৰি কোনো জয়ন্তীয়া ৰজাই নিজক বৰাহ বা বৰাহী বুলি চিনাকী দিয়া নাই। তেওঁলোকে 'জয়ন্তেশ্বৰ', 'পুৰন্দৰ' উপাধিহে লৈছিল। ত্ৰিপুৰাৰ ৰাজবংশৰ ক্ষেত্ৰতো একে কথা। ৰাজমালা নামৰ গ্ৰন্থখনত ত্ৰিপুৰা ৰজাসকলৰ যি বংশাৱলী দিয়া হৈছে সেইখন নিৰ্ভৰযোগ্য নহয়। ত্ৰিপুৰাৰ কোনো ৰজাই কপিলী উপত্যকাত ৰাজত্ব কৰাৰ কোনো উল্লেখ এতিয়ালৈকে পোৱা হোৱা নাই। চুতীয়াসকলেও এই অঞ্চলত ৰাজত্ব কৰা নাছিল। তেওঁলোকৰ ৰাজ্য দিখৌ নদীৰ সিপাৰলৈ বিস্তৃত হোৱা নাছিল। গতিকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজন কছাৰী, জয়ন্তীয়া, ত্ৰিপুৰা বা চুতীয়া হ'ব নোৱাৰে। তেনেহ'লে মহামানিক্য কোন জাতিৰ ৰজা আছিল? ওপৰত উল্লেখ কৰা হৈছে যে পাল বংশৰ শেষৰ নৃপতি দুজনে নিজকে বৰাহ আৰু শ্ৰীবৰাহ বুলি পৰিচয় দিছিল। পাল বংশৰ ৰাজত্ব (আনুমানিক ৯৯০-ৰ পৰা ১১৪২) শেষ হৈ যোৱাৰ পিছত বৈদ্যদেৱ আৰু তেওঁৰ উত্তৰাধিকাৰীসকল আৰু পিছত বল্লভদেৱ (আনুমানিক ১১৫০-১১৮০) আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে ৰাজত্ব কৰিছিল। গতিকে মহমানিক্য বল্লভদেৱৰ পৰৱৰ্তী কোনোবা এজন ৰজা আছিল বুলি অনুমান হয়।[৭]

আহোমসকলৰ আগমনৰ সময়ত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত চুতীয়া, মৰাণ, বৰাহী, কছাৰী আৰু ভূঞাসকলৰ ৰাজ্য আছিল। বৰাহীসকলে যি ভূমিখণ্ডত ৰাজত্ব কৰি আছিল তাৰ উত্তৰত আছিল দিচাং নদী, দক্ষিণত দিখৌ নদী, পূবত নগাহাট আৰু পশ্চিমত বৰাহী-ফিকা।[৮] তেওঁলোকৰ ৰজা আছিল থাকুম্‌থা আৰু তেওঁলোকৰ ৰাজধানী আছিল চৰাইদেউ পাহাৰত। আনহাতে মৰাণসকলে উত্তৰে বুঢ়ীদিহিঙৰ পৰা দক্ষিণে

[৭] বিশদ বিৱৰণৰ বাবে চাওক **প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথৰ ৰচনাৱলী**, সম্পাদনা ভৱকান্ত নাথ, গুৱাহাটী, ২০০২, পৃঃ ৫৬-৬৬; ৰাজমোহন নাথ, 'মাধৱ কন্দলি আৰু বৰাহ ৰজা', **অসম সাহিত্য সভা পত্ৰিকা**, দশম বছৰৰ চতুৰ্থ সংখ্যা, মাঘ-চ'ত, ১৮৬৪ শক, পৃঃ ৭১-৭৯

[৮] 'বুঢ়াগোহাঁইৰ বংশাৱলী', **লিক্‌-কান-টাই**, প্ৰথম খণ্ড, ১৯৬৬, পৃঃ ৯০

দিচাং নদী আৰু পূবে চাফ্ৰাই নদীৰপৰা পশ্চিমে ব্ৰহ্মপুত্ৰলৈকে বিস্তৃত অঞ্চলত বদৌচা ৰজাৰ অধীনত শাসন কৰি আছিল। তেওঁলোকৰ ৰাজধানী আছিল সদিয়াৰ দক্ষিণৰ কাকতল, অৰ্থাৎ বৰ্তমানৰ কাকপথাৰ। মৰাণ-বৰাহী মিলি তেতিয়া তেওঁলোকৰ জনসংখ্যা চাৰি হাজাৰমান আছিল।[৯] সেনাদল কম থকাৰ কাৰণে চুকাফা স্বৰ্গদেৱে তেওঁলোকৰ লগত যুদ্ধ নকৰি মিত্ৰতাৰ পাশেৰে তেওঁলোকক বশ কৰিবলৈ আলচ কৰিলে। সেই সন্দৰ্ভত বৰাহী-মৰাণৰ ওচৰলৈ মানুহ পঠিয়াই এই বুলি কোৱালে - 'আমিয়েৰে দেখা-দেখি হওঁ আহোঁক। আমি উজনিৰ ৰাজ্যৰপৰা আহিছোঁ, সিবোৰ হৈছে স্থান-গিৰি। আমি আলহি। আমাক গাঁও-ভূইখানৰো পৰিচয় কৰাব লাগে।'[১০] চুকাফাৰ আতিথ্যত মুগ্ধ হৈ বৰাহী-মৰাণে আলচি শাক-পাত-খৰি যোগান দিব ধৰিলে আৰু তেওঁলোকে ক'বলৈ ধৰিলে - 'এই ৰজা-প্ৰজাখন আহি আমাক চলেৰে বনুআ কৰি ললে, তথাপি আমাৰ মনে বিসম নালাগে, এই দৰেই খাটি লুটি অহা জোআকৈ থাকিবৰ মনহে যায়, এতেকে ইহঁত মানুহ, ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ, এইৰূপে ৰাজ্যত কৈ ফুৰোতে অসম নাম খ্যাত হল দেখি, তেতিয়াৰে পৰা ৰজা ও লগত অহা প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেস হ'ল কাৰণে অসমৰ দেস বোলে।"[১১]

এনেদৰে অহা-যোৱা কৰি থকাৰ ফলত বৰাহী-মৰাণৰ সৈতে আহোমসকলৰ বৈবাহিক সম্বন্ধৰ সূত্ৰপাত হয়। চুকাফাই মৰাণ, বৰাহীৰ চাৰিগৰাকী কন্যা বিবাহ কৰি তেওঁলোকৰ আত্মীয় হৈ পৰিল। মৰাণ-বৰাহীৰ দেওঘৰত স্বৰ্গদেৱৰ নামত বলি পৰ্যন্ত দি তেওঁলোকক মোৱাই ল'লে।[১২] বৰাহীসকলৰ পৰামৰ্শমতেই চুকাফাই চৰাইদেউত ৰাজধানী পাতিছিল।[১৩] বৰাহীসকলৰ পৰাই আহোমসকলে দুটুপীয়া ঘৰৰ আৰ্হি ল'লে। এই সম্পৰ্কে **সাতসৰী অসম বুৰঞ্জীত** এনেদৰে আছে - 'একদিনা বৰাহী মানুহে টুনি চৰাই এসজা ৰজাদেৱক ভেঁটিলেহি, কুঢ়িলাৰ সজা, দুই টুপ দিয়া, চাঙ্গঘৰৰ ঠেনা। ৰজা দেখি বোলে, আমাৰ মানুহক দেখাব। সেই ধাৰণে ঘৰ সাজিলে দুই টুপ দি। ঘৰ ভাল হ'ল। ৰজা বোলে, এনেকৈ কেৱে ঘৰ সাজিব নেপায়। তাৰেপৰা বাধা হল।'[১৪]

বৰাহীসকলে ভৰিৰ সৰু গাঠিত পৰাকৈ চুৰিয়া পিন্ধিছিল। এই ধৰণটো আহোমসকলে নিজৰ সম্ভ্ৰান্ত শ্ৰেণীৰ বাবে ল'বলৈ ঠিক কৰি বৰাহীসকলক সেই ধৰণে পিন্ধিবলৈ বাৰণ কৰিলে। বৰাহীক বোলে - 'তহঁতৰ চুৰিয়াৰ আগ মাটিত লুটিবৰ দেখিলে চুৰিয়াৰ আগ কাটিম। ... চুৰিয়াৰ আঁচু ৰঙ্গা, কলীয়া ক'তো, কমে কৰা লেচেকৈ পিন্ধিবৰ

[৯] দেওধাই অসম বুৰঞ্জী, পৃঃ ১০০
[১০] ঐ
[১১] কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জী সাৰ**, সম্পাদনা প্ৰতাপ চন্দ্ৰ চৌধুৰী, গুৱাহাটী, ১৯৬৭, পৃঃ ১০
[১২] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৭
[১৩] দেওধাই অসম বুৰঞ্জী, পৃঃ ১০১; সৰ্বানন্দ ৰাজকুমাৰ, **চুটিয়া, ভূঞা আৰু মটক ৰাজ্য**, পৃঃ ১৮
[১৪] সাতসৰী অসম বুৰঞ্জী, পৃঃ ১৪



দেখিলে যেন কাটে।'[১৫]

বৰাহীসকল ৰন্ধা-বঢ়াত পটু আছিল আৰু সেইবাবে তেওঁলোকক চুকাফাই চাংমাই (ৰান্ধনি) পাতিছিল আৰু আহোম ৰাজত্বৰ শেষলৈকে তেওঁলোক আহোম স্বৰ্গদেৱসকলৰ চাংমাই হৈ আছিল।[১৬]

আহোমসকলৰ লগত বৰাহী চুতীয়াসকলৰ এই সম্পৰ্কৰ কেইটামান ঐতিহাসিক গুৰুত্ব আছে -

(ক) চাওলুং চুকাফা আৰু তেওঁৰ অনুগামীসকলে মৰাণ, বৰাহী, চুতীয়াক 'থানগিৰি' বুলি চিহ্নিত কৰা মানে তেওঁলোক অসমৰ এচাম খিলঞ্জীয়া আদিম অধিবাসী বুলি স্বীকৃতি দিয়া।

(খ) মৰাণ, বৰাহী, চুতীয়াৰ মুখতে প্ৰথম 'অসম' নামটো উচ্চাৰিত হৈছিল। টাই-শান গোষ্ঠীৰ প্ৰব্ৰজনকাৰীসকলক বুজুৱা এই নামটোৱে পিছত তেওঁলোকৰ শাসিত ৰাজ্যখনকে বুজাইছিল আৰু শাসক গোষ্ঠীটো আহোম বুলি পৰিচিত হৈছিল।

(গ) মৰাণ, বৰাহী, চুতীয়া, কছাৰী ওচৰা-ওচৰিকৈ বসবাস কৰিছিল আৰু তেওঁলোক মূলতঃ একে গোষ্ঠীৰ লোক আছিল।

(ঘ) বৰাহীসকল ৰন্ধা-বঢ়া, থকা-মেলা, পিন্ধন-উৰণ আদি সকলোতে ৰুচিবোধ থকা সংস্কৃতিবান লোক আছিল।

আহোমসকল অহাৰ পিছত আহোম প্ৰশাসনত কুকুৰাচোৱা, শেনচোৱা, হিলৈদাৰী, বেজ, জৰাধৰা, জাপিসজীয়া আদি বিভিন্ন খেলত বৰাহী লোকে অগ্ৰাধিকাৰ পাইছিল। লুখুৰাখন, চেতিয়া আদি খেলবোৰতো বৰাহী লোকৰ প্ৰাধান্য আছিল। পৰৱৰ্তী কালত আহোমসকলৰ লগত তেওঁলোকৰ সংমিশ্ৰণ ইমান ব্যাপক হৈছিল যে বৰ্তমান তেওঁলোকৰ অস্তিত্ব একেবাৰে নিঃচিহ্ন হৈ গ'ল। কোনো কোনো ঠাইত এতিয়াও বৰাহী নামৰ গাঁও আছে যদিও তাৰ বাসিন্দাসকল হয় চুতীয়া নহয় আহোম।

কোনো কোনোৰ মতে বৰাহী চুতীয়াসকল বুৰুক চুতীয়া নামেৰেও পৰিচিত আছিল।[১৭] কিন্তু বৰাহী আৰু বুৰুক এই দুটা শব্দৰ অৰ্থ একে নহয়। বুৰুক শব্দই চুতীয়া সমাজত সম্ভ্ৰান্ত লোকক বুজাইছিল। চুতীয়া বুৰঞ্জীত বৰা-বুৰুক শব্দ দুটা সদায় একেলগে পোৱা যায়। অৰ্থাৎ বৰা আৰু বুৰুক চুতীয়া প্ৰশাসনত উচ্চ-শ্ৰেণীৰ বিষয়া আছিল। আহোম প্ৰশাসনতো বুৰুক-চুতীয়া ফৈদৰ কেইবাজনো লোকৰ নাম পোৱা যায়। তাৰ ভিতৰ ৰূপচান্দ বৰবৰুৱা আৰু তেওঁৰ পুত্ৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱা উল্লেখযোগ্য।[১৮] আনহাতে

[১৫] ঐ, পৃঃ ৭
[১৬] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ১৪
[১৭] সোমেশ্বৰ দেউৰী, আবাহন, সপ্তম বছৰৰ ২য় সংখ্যা, উদ্ধৃতি সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, গুৱাহাটী, ১৯৬৬, পৃঃ ১৮
[১৮] **আহোম বুৰঞ্জী**, পৃঃ ৩২

আহোম ৰাজত্বত বৰাহী-চুতীয়া ফৈদৰ বিষয়াসকলক বৰাহী বুলি চিহ্নিত কৰা হৈছে। উদাহৰণ স্বৰূপে ৰুদ্ৰসিংহৰ বিষয়াসকলৰ ভিতৰত লান্-চেও্-মা (ঘোঁৰাধৰা) আৰু ওকনিমূৰীয়া বৰাহী বংশোদ্ভৱ আছিল।[১৯]

বৰাহীসকলে নিজৰ থকা ঘৰৰ আৰ্হি আহোমসকলক সম্প্ৰদান কৰিবলগা হোৱাৰ পিছত কিছুমানে সাধাৰণভাৱে সজা বাঁহখেৰৰ জুপুৰী ঘৰত আৰু অলপ আঢ্যৱন্তসকলে চাংঘৰত বাস কৰিবলৈ ল'লে। এইটো কাৰণতে ১৮৮১ চনৰ লোকপিয়লত বৰাহীসকলক চাং বৰাহী আৰু মাটি বৰাহী - এই দুই ভাগত বিভক্ত কৰা হৈছিল।[২০]

মণিৰাম দেৱানে হিন্দু সমাজৰ জাতিভেদ প্ৰথাৰ যি জখলা তেওঁৰ বিৰচিত **বুৰঞ্জী বিবেকৰত্নত** ডাঙি ধৰিছে, তাত তিনিভাগ বৰাহীৰ কথা কোৱা হৈছে - ২০ নম্বৰত চাং বৰাহী, ২৫ নম্বৰত মাটি বৰাহী আৰু ২৯ নম্বৰত বৰাহী।[২১] সম্ভৱতঃ শেষৰ ভাগটো আৰ্থ-সামাজিকভাৱে আন দুটা খেলতকৈ অধিক পিছপৰা আছিল।

[১৯] ঐ, পৃঃ ৩১-৩২
[২০] Census Report of India, 1881, Assam, p.16.
[২১] মণিৰাম দেৱান, **বুৰঞ্জী বিবেকৰত্ন**, পৃঃ ১১

## আহোম-চুতীয়া

১২২৮ খ্ৰীঃত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৌমাৰখণ্ডত টাই-শান ৰাজকোঁৱৰ চুকাফাই এদল অনুগামীৰে প্ৰবেশ কৰি এখন ৰাজ্যৰ আধাৰশিলা স্থাপন কৰিছিল। কালক্ৰমত এই টাই-শানসকল 'আহোম' নামে জনাজাত হ'ল। ভৌগোলিক অৱস্থানৰ দিশৰপৰা চুতীয়া অধ্যুষিত সদিয়া অঞ্চল আৰু পাটকাইৰ সিপাৰে থকা শান বসতিপূৰ্ণ অঞ্চল নিকটৱৰ্তী আছিল। এই ভৌগোলিক সান্নিধ্যৰ কাৰণেই বোধহয় ব্ৰহ্মপুত্ৰ উপত্যকাত টাই ৰাজ্য প্ৰতিষ্ঠা হোৱাৰ পূৰ্বতে শান আৰু চুতীয়াৰ মাজত সম্পৰ্ক স্থাপন হৈছিল; অৰ্থাৎ শান আৰু চুতীয়াসকল ভৌগোলিকভাৱে ওচৰা-ওচৰিকৈ বসতি কৰাৰ ফলত সামাজিক আদান-প্ৰদান আৰু ৰক্তৰ সংমিশ্ৰণ ঘটিছিল। গেইটে এই কাৰণতে বোধহয় চুতীয়াসকলৰ চেহেৰাত শান ৰক্তৰ প্ৰভাৱ পৰা দেখিবলৈ পাইছে।[১] এই ফালৰপৰা বিচাৰ কৰিলে শান-চুতীয়াৰ সামাজিক সম্পৰ্কৰ ইতিহাস ৰাজনৈতিক সম্পৰ্কৰ ইতিহাসতকৈ বহু পুৰণি।

[১] Gait, **A History of Assam,** p. 40



১২২৮ খ্ৰীঃৰ আগতেও টাই-শান আৰু চুতীয়াসকলৰ মাজত ৰাজনৈতিক সম্পৰ্ক স্থাপন হোৱা দেখিবলৈ পোৱা যায়। সেইসময়ৰ ম্যুংমাওৰ ৰজা চু-খাম্-ফাৰ সেনাপতি চাম্-লুং-ফাই চুতীয়া ৰাজ্য, মণিপুৰ, ত্ৰিপুৰা আৰু কাছাৰ জয় কৰা কথা বুৰঞ্জীত আছে। চাম্-লুং-ফাই চুতীয়া ৰাজ্য জয় কৰি সেই ৰাজ্যৰ ৰজা কোচীক কৰতলীয়া ৰজা পাতিছিল। পিছত কোচী ৰজা বিদ্ৰোহী হোৱাত সেই বিদ্ৰোহ দমন কৰিবলৈ চু-খাম-ফাই চাও-কা-ফাক চুতীয়া ৰাজ্যলৈ পঠায়। চাও-কা-ফাৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি কোচী ৰজা কাছাৰলৈ পলায় যায়। এই দ্বিগীজয়ৰ ফলস্বৰূপে চুতীয়া ৰাজ্য বিশাল মাওশান সাম্ৰাজ্যৰ অঙ্গ হৈ পৰে।[২]

ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰকূল আৰু দক্ষিণকূল সামৰি পূবে সদিয়াৰপৰা পশ্চিমে মানাহ নদীলৈকে বিস্তৃত ভূখণ্ড এক ৰাজনৈতিক ছত্ৰছায়াৰ অধীনলৈ অনাটোৱেই আছিল আহোম স্বৰ্গদেৱসকলৰ ঘাই উদ্দেশ্য। এই লক্ষ্য পৰিপূৰণ কৰিবলৈ যাওঁতে আহোমসকল চুতীয়া, কছাৰী, কোচ প্ৰভৃতি থলুৱা লোকৰ লগত সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল। আহোম ৰাজ্যৰ উত্তৰ-পূবে আছিল চুতীয়া ৰাজ্য। আহোম ৰাজ্যৰ সমীপত চুতীয়া ৰাজ্যৰ দৰে এক শক্তিশালী ৰাজ্যৰ অস্তিত্ব সামৰিক দৃষ্টিকোণৰপৰা বিপদজনক আছিল। আহোম ৰাজ্যৰ পূব প্ৰান্ত নিষ্কন্টক কৰিব নোৱাৰিলে পশ্চিম দিশে ৰাজ্য বিস্তাৰ অসম্ভৱ। কিন্তু চুতীয়াসকলৰ বল বীৰ্য্যত শঙ্কিত হৈ আহোমসকলে প্ৰায় এশ বছৰৰ অধিক কাল চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ সাহস কৰা নাছিল। গতিকে আহোম ৰাজত্বৰ আদিছোৱাত আহোম-চুতীয়াৰ কোনো সংঘৰ্ষ হোৱা নাছিল। চতুৰ্দশ শতিকাৰ মাজ ভাগৰপৰাহে আহোম-চুতীয়াৰ সম্পৰ্কৰ ইতিহাস আৰম্ভ হয়। স্বৰ্গদেৱ চুতুফাৰ ৰাজত্বকালত (১৩৬৪-১৩৭৬ খ্ৰীঃ) চুতীয়া ৰাজ্যৰ সৈতে আহোমৰ মিত্ৰতা হৈছিল। কিন্তু চুতীয়া ৰজাই (বুৰঞ্জীত নাম উল্লেখ নাই) বিশ্বাসঘাতকতা কৰি চুতুফাক হত্যা কৰাত আহোম-চুতীয়াৰ সংঘৰ্ষ আৰম্ভ হয়।

আহোম স্বৰ্গদেৱ তাওখাম্থিয়ে (১৩৮০-৮৯ খ্ৰীঃ) এই হত্যাৰ পোতক তুলিবলৈ চুতীয়া ৰাজ্য আক্ৰমণ কৰি চুতীয়া ৰজাক পৰাভূত কৰিছিল। ইয়াৰ পাছত প্ৰায় এক শতিকাতকৈও অধিক কাল আহোম আৰু চুতীয়াৰ মাজত কোনো সংঘৰ্ষ হোৱা নাছিল।

১৫১৩ খ্ৰীঃত চুতীয়া ৰজা ধীৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰিছিল। ধীৰনাৰায়ণৰ সমসাময়িক ৰজা চুহুংমুঙে (১৪৯৭-১৫৩৯ খ্ৰীঃ) প্ৰতিবেশী চুতীয়া ৰাজ্যৰপৰা ভৱিষ্যতে আহিবপৰা যিকোনো ভাবুকিৰ আশঙ্কা কৰি ১৫২৩ খ্ৰীঃত চুতীয়া ৰাজ্য আক্ৰমণ কৰি সেই ৰাজ্য সম্পূৰ্ণভাৱে আহোম ৰাজ্যৰ লগত চামিল কৰিলে।

[২] P. Gogoi, **The Tai and the Tai Kingdom**, pp.162, 163, 255.

লুপ্ত স্বাধীনতা পুনৰুদ্ধাৰ কৰিবলৈ চুতীয়াসকলে পৰবৰ্তী কালত আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে কেইবাবাৰো বিদ্ৰোহ ঘোষণা কৰিছিল। উদাহৰণস্বৰূপে স্বৰ্গদেৱ চুহংমুঙৰ ৰাজত্বকালত (১৪৯৭-১৫৩৯ খ্ৰীঃ) চুতীয়াসকলে দুবাৰ, স্বৰ্গদেৱ চুক্লেংমুং (১৫৩৯-১৫৫২ খ্ৰীঃ), স্বৰ্গদেৱ চুখামফা (১৫৫২-১৬০৩ খ্ৰীঃ), স্বৰ্গদেৱ উদয়াদিত্যসিংহ (১৬৬৯-১৬৭৩ খ্ৰীঃ) আৰু স্বৰ্গদেৱ ৰামধ্বজসিংহৰ (১৬৭৩-১৬৭৫ খ্ৰীঃ) ৰাজত্ব কালত একোবাৰকৈ হোৱা চুতীয়া বিদ্ৰোহ এই ক্ষেত্ৰত উল্লেখযোগ্য। স্বৰ্গদেৱ ৰামধ্বজসিংহৰ দিনৰ বিদ্ৰোহ আছিল আহোম ৰাজতন্ত্ৰৰ বিপক্ষে হোৱা শেষ চুতীয়া বিদ্ৰোহ। বিদ্ৰোহ কৰাৰ অসাৰতা উপলব্ধি কৰি চুতীয়াসকলে তেতিয়াৰপৰা আহোম ৰাজতন্ত্ৰৰ অধীনত থাকি দেশ আৰু জাতিৰ বাবে বহুমূলীয়া অবদান যোগাই আহিছে।

চুতীয়া ৰাজ্য দখল কৰি আহোম ৰাজতন্ত্ৰই চুতীয়া ৰাজপৰিয়ালৰ ৰজাকে ধৰি কেইবাজনকো হত্যা কৰিছিল। কিন্তু "ৰজাক ৰজাৰ দৰে ব্যৱহাৰ কৰা' নীতি অনুসৰণ কৰি আহোম স্বৰ্গদেৱে চুতীয়া ৰজাৰ মূৰটো আনি আহোম ৰজাসকলৰ পবিত্ৰ সমাধিস্থল চৰাইদেউত সমাধিস্থ কৰিছিল।[৩] আহোমসকলে তেনেকৈয়ে মুছলমান সেনাপতি তুৰ্ব্বক আৰু হুছেইন খান[৪] আৰু কছাৰী ৰজা ডেট্চুঙৰ[৫] মূৰ চৰাইদেউত সমাধিস্থ কৰিছিল। চুতীয়া ৰজাক হত্যা কৰিলেও চুতীয়া ৰাজকোঁৱৰ সাধক নাৰায়ণক কৰতলীয়া ৰজা হিচাবে সংস্থাপন কৰিছিল।[৬] চুতীয়াসকলে যাতে পুনৰ ঐক্যবদ্ধ হৈ আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে আহোম স্বৰ্গদেৱসকলে "স্থানান্তৰ আৰু সংস্থাপন" নীতি গ্ৰহণ কৰি চুতীয়াসকলক সিঁচৰতি কৰি অ'ত ত'ত সংস্থাপন কৰিছিল।[৭] ইয়াৰ ফলস্বৰূপে বিজিত চুতীয়াসকল আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰা হ'ল।

স্বৰ্গদেৱ চুহংমুঙে (১৪৯৭-১৫৩৯ খ্ৰীঃ) পূৰ্ব্বে চুকাফাই আহোতে বাটত পাই অনা বৰাহী, মৰাণ, চুতীয়া, কছাৰীলোকক চৰগুৱা, মাইবেলা, দিহিং, জাঁজী, বাঘচোং আদি ঠাইত আৰু কতোক চেটীয়া নাম দি চেটীয়াৰ লগত সুমুৱাই দিলে।[৮] Allen-ৰ

---

[৩] G. C. Baruah, (trans. & ed.) **Ahom Buranji**, p.57.

[৪] সুৰ্য্য কুমাৰ ভূঞা সম্পাদিত, **দেওধাই অসম বুৰঞ্জী**, পৃঃ ৩৪; **Ahom Buranji**, p.73.

[৫] **Ahom Buranji**, p.77.

[৬] হেমচন্দ্ৰ গোস্বামী সম্পাদিত, **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৪২; সুৰ্য্য কুমাৰ ভূঞা সম্পাদিত **সাতসৰী অসম বুৰঞ্জী**, (পৃঃ ৬০) আৰু **Ahom Buranji**, (p.57.)-ৰ মতে ৰজা আৰু পুত্ৰ দুয়োকে হত্যা কৰা হৈছিল। **দেওধাই অসম বুৰঞ্জী** (পৃঃ ২০০)-ৰ মতে চুটীয়া ৰজাৰ পুত্ৰক কলিয়াবৰলৈ স্থানান্তৰ কৰিছিল; হৰকান্ত বৰুৱাৰ **অসম বুৰঞ্জী**, (পৃঃ ২৪)-ৰ মতে ৰাজপুত্ৰক পাকৰিগুৰিলৈ স্থানান্তৰ কৰিছিল।
সুৰ্য্য কুমাৰ ভূঞা সম্পাদিত, সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী** (পৃঃ ১০) আৰু **দেওধাই অসম বুৰঞ্জী**, (পৃঃ ১৯) মতে ৰাণীকো হত্যা কৰা হৈছিল।

[৭] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ৪০; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫৬

[৮] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ৫৭৮



লক্ষীমপুৰ জিলাৰ Gazetteer-ৰ মতে আহোম প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ উত্তৰে ভৰলী নদীৰ পূবে থকা চতিয়া অঞ্চললৈ বহুতো চুতীয়া লোকক স্থানান্তৰ কৰি তাত সংস্থাপন কৰিছিল।[৯] আহোম ৰাজতন্ত্ৰৰ "স্থানান্তৰ আৰু সংস্থাপন" নীতিৰ উপৰিও যিবোৰ কাৰণত সংমিশ্ৰণৰ বাটবোৰ ব্যাপক হৈ পৰিছিল সেইবোৰৰ ভিতৰত মোমাইতামুলী বৰবৰুৱাৰ নেতৃত্বত হোৱা গাঁও সংগঠন আৰু খেল-পাইক প্ৰথা বিশেষভাবে উল্লেখযোগ্য।

চুতীয়াসকলৰ বল-বিক্ৰম আৰু বুদ্ধি-বৃত্তিৰ উমান পাই আহোম স্বৰ্গদেৱসকলে ৰাজ্যৰ শাসন আৰু সামৰিক বিভাগত তেওঁলোকৰ বহুতকে যোগ্যতাৰ ভিত্তিত নিযুক্তি দিছিল। চুতীয়াসকলৰ মাজত বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ৰাজখোৱা, হিলৈদাৰী, খনিকৰ, ৰাজখনিকৰ, পাত্ৰবৰা, ভাজনী, পাঠক, ডেকা, তামুলী, সেনাপতি, গগৈ, দাস, হাতীবৰুৱা, কোঁৱৰ, দলৈ, বৰদলৈ, কমাৰ বৰা, ভাগৱতী, বেজ, বেজবৰা, মুদৈ, বৰমুদৈ, নেওগ, কাকতি, চমুৱা বৰা, ভূঞা, লেখাৰু, গন্ধিয়া, গোহাঁই, বাৰুৱতী, পাতৰ, চলিহা, দোলাকাষৰীয়া, অভয়পুৰীয়া, লস্কৰ, ফুকন, লিগিৰা, চাবুকধৰা ইত্যাদি উপাধিবোৰ আছে। চুতীয়াসকলে আহোম প্ৰশাসনত কেনেদৰে বিভিন্ন বিষয়বাব পাইছিল উক্ত উপাধিবোৰে তাৰেই প্ৰমাণ দিয়ে। আহোমসকলৰ সেনাবাহিনীত চুতীয়া কাঁড়ী-পাইকৰ এক সুকীয়া স্থান আছিল। ধনুবিদ্যাত পাৰ্গতালিৰ বাবে ধেনুচোঁচা খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল। খনিকৰী বিদ্যাত চুতীয়াসকল বিশেষ দক্ষতাৰ অধিকাৰী আছিল। হিলৈদাৰী, নাওশলীয়া, জাপিসজীয়া, শিলাকটীয়া খেলতো চুতীয়া সম্প্ৰদায়ৰ লোকেই প্ৰাধান্য বিস্তাৰ কৰিছিল।

১২২৮ খ্ৰীঃত চুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৌমাৰ অভিমুখে আহি থাকোতে বাটত লগ পোৱা চুতীয়া, বৰাহী, নগা প্ৰভৃতি বহু লোকক তেওঁ নিজৰ অনুগামী দলত স্থান দিছিল। বুৰঞ্জীত আছে - "যি চুটিয়া, বৰাহী, মৰাণ ঠায়ে ঠায়ে পাই আহিল, লগত অহা বোৰতকৈয়ো তাৰেহে আপাহ পাই।"[১০] স্বৰ্গদেৱ চুকাফাই এজন চুতীয়াক চোমদেওলৈ উছৰ্গি চোমচিৰিং নাম দিয়া কথা বুৰঞ্জীত আছে। এইজন চুতীয়াৰ আঠজন পুত্ৰ আৰু এক জীয়েক আছিল। কেলেঙ্কাৰীজনিত কাৰণত এক পুত্ৰ আৰু জীক বাদ দি বাকী সাতজন পুতেকৰ সতি-সন্ততিক স্বৰ্গদেৱ চুবিনফাই (১২৮১-১২৯৩ খ্ৰীঃ) খাতোৱাল চেটীয়া নাম দিলে।[১১]

স্বৰ্গদেৱ চুহেনফা (১৪৮৮-১৪৯৩ খ্ৰীঃ) আৰু স্বৰ্গদেৱ চুপিমফাৰ (১৪৯৩-১৪৯৭ খ্ৰীঃ) ৰাজত্বকালত বৰগোহাঁয়ে চুতীয়া ৰাজ্য মাৰি এজন চুতীয়া লোক পালে। স্বৰ্গদেৱে ভাল পাই এইজন লোকক হন হন পাতৰ নাম থলে। এইঘৰক হলাহল পাতৰৰ

---

[৯] Quoted by UN Gohain, **Assam under the Ahoms**, p.18.

[১০] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ৯৯; **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৫

[১১] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ২৪

ঘৰ বুলিও জনা যায়। স্বৰ্গদেৱ চুহুংমুং (১৪৯৭-১৫৩৯ খ্ৰীঃ)-এ এইজন চুতীয়াৰ কামত সন্তুষ্ট হৈ তেওঁক লুকটুদুহা নাম দিলে। চুখামফা খোৰা ৰজাই (১৫৫২-১৬০৩ খ্ৰীঃ) তেওঁৰ এক নাতি ল'ৰাৰ কামত সন্তুষ্ট হৈ সেইজনক হৰিদাঙ্গ দুৱৰা নাম দিলে। স্বৰ্গদেৱ প্ৰতাপ সিংহই (১৬০৩-১৬৪১ খ্ৰীঃ) এই হৰিদাঙ্গ দুৱৰাক নাম দিলে শৃকালী। লাঙ্গি পানীসিয়া নামৰ এওঁৰ এক নাতি ল'ৰাই হাজোত মুছলমানৰ বিৰুদ্ধে যুঁজোতে বীৰত্ব দেখুৱাৰ বাবে স্বৰ্গদেৱে নতুনকৈ বৰফুকন পদ সৃষ্টি কৰি তেওঁক সেই পদত নিযুক্তি দিছিল।[12] এই ফৈদ লাঙিৰ ডেকা বুলিও জনাজাত।[13] বৰফুকনৰ দৰে অতি গুৰুত্বপূৰ্ণ পদবীত নিযুক্তি পোৱা এই লোকজন জাতত চুতীয়া আছিল। পৰৱৰ্তী কালত কাজলীমুখত থোৱা কেইবাগৰাকী বৰফুকন চুতীয়া কুলৰ আছিল।

লাচিতৰ ডেকাসকল হলাহল পাতৰৰ পৰি নাতি। স্বৰ্গদেৱ প্ৰতাপসিংহই (১৬০৩-১৬৪১ খ্ৰীঃ) হলাহল পাতৰৰ ঘৰৰ কেইজনমানক কলিয়াবৰত পাতিছিল। পাচে এজনক যুদ্ধত আপাহ পাই নাম দিলে লাচিতৰ ডেকা। তেখেতৰ বঙহকে লাচিতৰ ডেকা বুলি কয়।[14]

পূৰ্বে সদিয়া জয় কৰি অনা চুতীয়া ক্যাওখংনাৰ নাতি পুতিক চু-খাম্-ফা খোৰা ৰজাই (১৫৫২-১৬০৩ খ্ৰীঃ) 'চুটীয়া চিৰিং' নাম দিছিল।[15]

চুহুংমুঙৰ ৰাজত্বকালত (১৪৯৭-১৫৩৯ খ্ৰীঃ) এজন চুতীয়া লোকে এখন দা আৰু এডাল যাঠি লৈ আত্মসমৰ্পণ কৰিছিল। বৰগোহাঁয়ে এই চুতীয়াজনক নিজৰ খেলত ললে।[16] পাচে তাৰে পো নাতিক খোৰা ৰজা স্বৰ্গদেৱে পাই খেলুঙীয়া চেটীয়া বুলিলে।[17] এইজন লোকৰ লাঙ্গিমুই আৰু লাঙ্গিথাপক খোৰক নামেৰে দুজন পুত্ৰ আছিল। তঙ্গখাম বৰগোহাঁইৰ জীয়েক নাঙ্গচাই গাভৰুক খোৰা ৰজালৈ বিয়া দিওঁতে যৌতুকত লাঙ্গিমুইক আহোম ৰাজপ্ৰসাদলৈ পঠিয়াইছিল। তেওঁ বৰগোহাঁই জীয়ৰীৰ খাটনিত ঘোঁৰা চোৰা হৈ আছিল। বুঢ়া ৰজা স্বৰ্গদেৱে তেওঁৰে পো নাতিৰ এঘৰক আপাহ পাই বৰগোহাইৰ ঘৰৰ যৌতুকীয়া গুছাই ভণ্ডাৰী চেটীয়া নাম দিলে। পিছত এইঘৰ ভণ্ডাৰী গোহাঁইৰ ঘৰ নামে পৰিচিত হ'ল।[18] গড়ঁগয়া টুকৰীয়াৰ ঘৰ ভণ্ডাৰী গোহাঁইৰ ভায়েকৰ পৰা বঢ়া।[19]

লেচাম টেকেলা বৰাৰ বংশ পূৰ্বতে চুতীয়া আছিল। কালক্ৰমত এইঘৰ লেচাম চেটীয়া হ'ল।[20] ঘোঁৰা চোৰা ফৈদ লেচাম চেটীয়াৰ পৰা বঢ়া। লেচামৰ বৰপুতেক লাইপুং

[12] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৩১; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০৭; সুকুমাৰ মহন্ত, **অসম বুৰঞ্জী**, পৃঃ ৬১, ৬২

[13] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ৫৮৯

[14] ঐ, পৃঃ ৫৮৬

[15] ঐ, পৃঃ ৫৮৭

[16] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৩০

[17] **আহোমৰ দিন**, পৃঃ ৫৭৭

[18] ঐ, পৃঃ ৫৭৮, ৫৮৮

[19] ঐ, পৃঃ ৫৮৯

[20] ঐ, পৃঃ ৫৭৭



বৰগোহাঁইৰ খেলত 'ঘোৰা চোৰা' হৈছিল। তাৰপৰা বঢ়া ফৈদকে ঘোঁৰা চোৰা বুলি কয়।[21] লাই চেটীয়াৰ ঘৰ পূৰ্বতে চুতীয়া আছিল। তেওঁ বৰগোহাঁইৰ বন্দী আছিল।[22]

পূৰ্ব্বে সদিয়া মাৰি অনা চাওৰতুৰ চুতীয়া আছিল। কাম কাজত আপাহ পাই বুঢ়া ৰজা স্বৰ্গদেৱে তেওঁৰ পৰিনাতিক 'পিকচাই চেটীয়া' বুলিলে। তাৰে ভায়েকৰ পুতেককেইজনৰ পাচনিত খাটনি হ'ল। এই হেতুকে স্বৰ্গদেৱে তেওঁলোকক 'বিহ পৰুৱা চেটীয়া" বুলিলে।[23]

বুৰুক চেটীয়া পূৰ্ব্বত চুতীয়াসকলৰে বঙহ। নামনি অসমত থকা এই বংশৰ লোকসকলে 'বুৰুক চুতীয়া' বুলি নিজকে পৰিচয় দিয়ে। কিন্তু উজনিত বসবাস কৰাসকলে তেনেকৈ নুবুলি বুৰুক চেটীয়া বুলি কয়।[24]

গড়গঞা, টুকৰীয়া, ৰেৱতী গঁয়া আৰু বাঘৰ ঘৰ পূৰ্বতে চুতীয়া আছিল।[25] আহোম বৰুৱা নামৰ বিষয়াগৰাকীও পূৰ্বতে চুতীয়া আছিল। তেওঁ চুতীয়া ৰজাৰ কটকী হিচাবে কাম কৰিছিল। চুতীয়া ৰাজ্য আহোমৰ হস্তগত হলত এইঘৰ মানুহক চুতীয়াৰ ফালৰ বা-বাতৰি জনাই থাকিবলৈ স্বৰ্গদেৱে বৰুৱা পাতিলে। আহোম ৰজাৰ তলে বৰুৱা হ'ল বাবে চুতীয়াসকলে তেওঁক 'আহোমৰ বৰুৱা' বা আহোম বৰুৱা বুলিছিল।[26]

আহোমসকলৰ সুদীৰ্ঘ ৰাজত্ব কালত চুতীয়াৰ পৰা আৰম্ভ কৰি অন্যান্য অনা-আহোমৰ পৰা আহোম হোৱা দৃষ্টান্ত বুৰঞ্জীবোৰত ঠাহ খাই আছে। আহোম সমাজভুক্ত হোৱা এই অনা-আহোমসকলে অন্যান্য আহোমৰ দৰে একে সা-সুবিধা লাভ কৰিছিল। নতুনকৈ হোৱা অনা-আহোমসকলৰ পূৰ্ব্বৰ পৰিচয় দাঙি নধৰিবলৈ আৰু তেওঁলোকক চেটিয়া বুলি কবলৈ ৰাজ আজ্ঞা জাৰি কৰা হৈছিল।[27]

সেই যুগত বিজেতাসকলে নিজৰ কৃষ্টি-সংস্কৃতি বিজিতসকলৰ ওপৰত চলে-বলে-কৌশলে জাপি দিয়া ৰীতি প্ৰচলিত আছিল। কিন্তু, বিজেতা হৈও আহোমসকলে নিজৰ ধৰ্ম, ভাষা আৰু সংস্কৃতি জাপি নিদি বিজিতসকলৰ ধৰ্ম, ভাষা আৰু সংস্কৃতিক শ্ৰদ্ধা আৰু সুৰক্ষা দিছিল।[28] আহোমসকলে চুতীয়া ৰাজ্য জয় কৰিলেও চুতীয়া পুৰোহিত দেউৰীসকলক পূৰ্ব্বাপৰ ৰাতি-নীতি মতে দেওঘৰত পূজা-পাতল চলাবলৈ অধিকাৰ

[21] ঐ, পৃঃ ৫৯৪

[22] ঐ, পৃঃ ৫৭৭

[23] ঐ, পৃঃ ৫৭৯

[24] ঐ, পৃঃ ৫৭৯

[25] ঐ, পৃঃ ৫৯২

[26] ঐ, পৃঃ ৫৬৩

[27] ঐ, পৃঃ ৫৭৮

[28] Dr. J.N. Phukan, 'Some Religious Rites and Ceremonies of the Ahoms : A Search for Ahomisation, Lik Phan Tai, Tai Historical and Cultural society of Assam, Vol.II, 1988, p.43.

দিছিল। দেউৰী পুৰোহিতসকলক আহোম ৰজাই বৰ সন্মান কৰিছিল। দেউৰী পুৰোহিতসকল প্ৰতিবছৰ ৰাজধানীলৈ আহি ৰজাক আশীৰ্বাদ দিয়া আৰু ৰজাই দেউৰীসকলক সন্মান সহকাৰে পুৰস্কাৰ দি বিদায় দিয়া ৰীতি প্ৰচলিত আছিল।[২৯] শ্ৰদ্ধা সদায় পাৰস্পৰিক ভিত্তিতহে বিনিময় হয়। আহোমসকলৰ এনে উদাৰ মনোভাবে বিজিতসকলৰ মনত বিশ্বাস আৰু আস্থাৰ ভাব জগাই তোলা অতি স্বাভাৱিক।

আহোমসকলে নিজস্ব ৰীতি-নীতি, ভাষা-সংস্কৃতি পৰম্পৰাগতভাৱে অনুসৰণ কৰিলেও থলুৱা সংস্কৃতিৰ ভালৰো ভাল দুই এপদ সমল গ্ৰহণ কৰি মহানুভৱতাৰ পৰিচয় দিছিল। স্বৰ্গদেৱ চুহুংমুঙে চুতীয়া ৰাজ্য দখল কৰি চুতীয়া ৰাজ্যৰপৰা বিস্তৰ বস্তু লাভ কৰা কথা বুৰঞ্জীত আছে। এইবোৰৰ ভিতৰত বাৰুদ, বৰ্চা, কেকোৰা দোলা, আৰোৱান, পিকদান,[৩০] দবা, কালি, মাইহাঙ্গ[৩১] আদি উল্লেখযোগ্য। এইবোৰ পিছত আহোম আভিজাত্যৰ প্ৰতীক হৈ পৰা দৃষ্টান্ত আছে। স্বৰ্গদেৱ চুহুংমুঙে বৰাহীসকলৰপৰা দুটুপীয়া ঘৰৰ চানেকি গ্ৰহণ কৰা কথা বুৰঞ্জীয়ে কয়।[৩২]

চুকাফা চৌমাৰ অভিমুখে আহি থাকোতে বাটত চুতীয়া, বৰাহী, মৰাণ, নগা আদি লোক ঠায়ে ঠায়ে পাই অহা কথা আগতে উল্লেখ কৰা হৈছে। বুৰঞ্জীত আছে - "চুকাফা মহাৰাজা নামি আহি পৰ্ব্বতত ৭ ঘৰ বৰাহি পালেহি, তাৰ নাম গাম ১, লখাই ১, সুপুং ১, ৰঙি ১, হাটাই ১, বখাম ১, বৰকুমাৰ ১, এই সাতঘৰৰ মহাৰাজা বেথাকৈ কতোদিন থাকি চাঙ্গমাই পাতি ললে"।[৩৩] তাৰোপৰি চুকাফাই বৰাহী মৰাণসকলক "খৰিভাৰী ও বাৰীচোৱা কৰি ললে .... বৰাহীক কাঠকটীয়া ও চাঙ্গমাই, ও বান্ধনী চাঙ্গমাই, ও ভৰালী, ও জৰাধৰা ও বেজ, ও কুকুৰাচোৱা এনে বনুৱা কৰি ললে"।[৩৪] চুকাফাৰ ব্যৱহাৰত সন্তুষ্ট হৈ বৰাহী মৰাণসকলে কোৱা-মেলা কৰিলে - "এই ৰজা প্ৰজাখন আহি আমাক চলেৰে বনুআ কৰিএ ললে, তাথাপি আমাৰ মনে বিষম নেলাগে; এইদৰে খাটি-লুটি অহা জোআকৈ থাকিবৰ মনহে জাই।[৩৫] স্বৰ্গদেৱ চুকাফাই বৰাহী মৰাণৰ চাৰিগৰাকী ৰাজকুঁৱৰী বিয়া কৰোৱা কথা বুৰঞ্জীত আছে।[৩৬] স্বৰ্গদেৱৰ শয়নকক্ষ আৰু ৰন্ধন-প্ৰকৰণত যথাক্ৰমে থলুৱা তিৰোতা আৰু ৰান্ধনি দিয়া কাৰ্য অতিশয় তাৎপৰ্যপূৰ্ণ। থলুৱা লোকৰ 'আপাহ' পোৱা আহোম ৰজাসকলে থলুৱা লোকক পুৱা মাত্ৰাই বিশ্বাসত লৈছিল বুলি

[২৯] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৫ এইবুলি উল্লেখ আছে।
[৩০] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১২৬; **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ১৪
[৩১] কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ১৮, (সম্পাদিত প্ৰতাপ চন্দ্ৰ চৌধুৰী); হৰকান্ত বৰুৱা, **অসম বুৰঞ্জী**, পৃঃ ২৪
[৩২] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ১৪
[৩৩] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ২১
[৩৪] কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জী সাৰ**, পৃঃ ১০; হৰকান্ত বৰুৱা, **অসম বুৰঞ্জী**, পৃঃ ১২
[৩৫] ঐ, পৃঃ ১২
[৩৬] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০১; **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৬



উক্ত ঘটনাই প্ৰমাণ কৰে। কিয়নো এজন লোকক জীৱন নাশৰ একেবাৰে সহজ পথ হ'ল খাদ্যত বিহ প্ৰয়োগ কৰি বা নিদ্ৰিত অৱস্থাত হত্যা কৰা। আহোম-বৰাহীৰ সম্পৰ্কক সেয়েহে বিজেতা-বিজিতৰ সম্পৰ্ক নুবুলি ভাই-ককাইৰ সম্পৰ্ক বুলি কলে অত্যুক্তি কৰা নহয়। উল্লেখযোগ্য যে বৰাহীসকলৰ সৈতে হোৱা আহোমৰ ঘনিষ্ঠ সম্পৰ্কৰ বাবে কালক্ৰমত বৰাহীসকলৰ জাতিগত পৰিচয় সম্পূৰ্ণৰূপে নিঃশেষ হৈ গ'ল। বৰ্তমান অসমত বৰাহী নামৰ কেইখনমান ঠাইৰ নামৰ বাদে কোনো বৰাহীলোকৰ অস্তিত্ব পাবলৈ নাই।

মনকৰিবলগীয়া কথা এয়ে যে বৰাহী আৰু চুতীয়া - এই দুই ৰাজ্য আহোম ৰাজ্যৰ সৈতে চামিল হোৱা প্ৰক্ৰিয়া ভিন্ন আছিল। আহোমসকলে বৰাহীসকলক মিত্ৰতাৰে আৰু চুতীয়া ৰাজ্য সামৰিক শক্তিৰে আহোম ৰাজতন্ত্ৰৰ অধীনলৈ আনিছিল। বৰাহী ৰাজ্য চামিলকৰণ প্ৰক্ৰিয়াত কোনো বিৰোধ নাছিল বাবে বৰাহীসকল সোনকালে আহোমসকলৰ লগত জীন গ'ল। চুতীয়াসকলে প্ৰথমতে আহোমৰ প্ৰভুত্ব মানি ল'বলৈ অস্বীকাৰ কৰিলেও পৰবৰ্তী কালত আহোম আৰু চুতীয়াৰ মাজত সঘনে হোৱা বিয়া-বাৰু আৰু সামাজিক আদান-প্ৰদানৰ ফলত আহোম-চুতীয়া নামৰ এক নতুন সম্প্ৰদায় জন্ম হ'ল। এই সম্প্ৰদায়ৰ লোকসকলে আজিও নিজকে আহোম-চুতীয়া বুলি চিনাকি দিয়ে। এটা সময়ত আহোমসকলৰ লগত চুতীয়াৰ সংমিশ্ৰণ ইমান ব্যাপক হাৰত হৈছিল যে ১৮৯১ চনৰ পিয়লত যিসকল চুতীয়াই নিজৰ শাখা বা ফৈদৰ নাম উল্লেখ কৰিছিল তেওঁলোকৰ তিনিভাগৰ এভাগেই আহোম চুতীয়া বুলি পৰিচয় দিছিল।[৩৭] ইয়াৰ ফলস্বৰূপে চুতীয়া লোকৰ জনসংখ্যা ১৮৯১ চনত ৮৭,৬৯১ জনৰ পৰা ১৯০১ চনত ৮৫,৮২৯ জনলৈ হ্ৰাস হৈছিল।[৩৮] আজিও চুতীয়াৰ পৰা আহোম সম্প্ৰদায়ত অন্তৰ্ভুক্ত হোৱাৰ পৰম্পৰা অব্যাহত আছে। চুতীয়াসকলেই বোধহয় ব্ৰহ্মপুত্ৰ উপত্যকাত হিন্দুকৃত হোৱা প্ৰথম মঙ্গোলীয় গোষ্ঠী। আহোমসকলৰ ওপৰতো লাহে লাহে হিন্দুকৃত প্ৰক্ৰিয়াৰ প্ৰভাব পৰিবলৈ ধৰাত আহোম-চুতীয়াৰ মাজত থকা সামাজিক ব্যৱধান আগতকৈ লোপ পালে। বৰাহী আৰু চুতীয়া ৰাজ্যৰ নিচিনাকৈ আহোমসকলে কোচ আৰু কছাৰী ৰাজ্য সম্পূৰ্ণভাৱে আহোম ৰাজতন্ত্ৰৰ অধীনলৈ আনিবপৰা নাছিল। সেয়েহে এই দুই মঙ্গোলীয় গোষ্ঠীৰ দখলত থকা বৃহৎ ভূখণ্ড আহোম ৰাজতন্ত্ৰৰ শাসনাধীন হৈছিল যদিও কোচ আৰু কছাৰীসকলৰ এক বুজন অংশ আহোম ৰাজ্যৰ বাহিৰত থাকি গৈছিল। এই কাৰণতে বৰাহী-চুতীয়াৰ ক্ষেত্ৰত দেখা পোৱাৰ দৰে কোচ আৰু কছাৰীৰ লগত হোৱা আহোমৰ সামাজিক সম্পৰ্কৰ পৰিসীমা ব্যাপক নাছিল।

ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে বিজেতাসকলে সদায়েই বিজিতসকলৰ ওপৰত নিজৰ আধিপত্য বজাই ৰাখি বিজেতা-বিজিতৰ মাজত এক ব্যৱধান

[৩৭] E.A. Gait, **A History of Assam**, p.40
[৩৮] Census of India, 1901, vol IV, patr-I, p.121

সাগৰখন গংগা আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গমত সৃষ্টি হোৱা লৌহিত্য সাগৰ, যাৰ গৰ্ভত আজিৰ বাংলাদেশ আৰু পশ্চিমবংগৰ বহু ঠাই তেতিয়া নিমজ্জিত হৈ আছিল।[২৬] পঞ্চম শতিকাত ৰচিত হোৱা **বৃহৎ সংহিতা**তো এইখন সাগৰৰ উল্লেখ আছে।[২৭] গতিকে তাৰ পিছতহে সাগৰৰ তলিৰপৰা লাহে লাহে এই ভূমিখণ্ড ওলাই আহিছিল। চমুকৈ ক'ব পাৰি যে **মহাভাৰত**ৰ যুগত প্ৰাগ্‌জ্যোতিষ ৰাজ্যই বৰ্তমানৰ উত্তৰ পূৰ্বাঞ্চলৰ উপৰিও পশ্চিমবঙ্গৰ কোচবিহাৰ আৰু জলপাইগুৰি, বৰ্তমানৰ বাংলাদেশ, ত্ৰিপুৰা, পাব্‌নাৰ কিছু অংশ, ভূটান আৰু সম্ভৱতঃ নেপালৰো এটা অংশ সামৰি লৈছিল।[২৮] কোনো কোনো সময়ত বিহাৰৰ পূৰ্ণিয়া তথা কোশী নদী পৰ্যন্ত ইয়াৰ সীমা বিস্তৃত হৈছিল। অৱশ্যে ইয়াৰ স্থায়ী পশ্চিম সীমা আছিল কৰতোয়া নদী। এইখন নদী উত্তৰ বংগৰ মাজেৰে বৈ গৈছিল। সপ্তম শতিকাৰ মাজভাগত (৬৪২/৬৪৩ খ্ৰীঃ) ভাস্কৰ বৰ্মণৰ ৰাজত্বকালত অসম পৰিভ্ৰমণ কৰিবলৈ অহা চীনা পৰ্যটক হিউৱেন চাঙৰ মতে অসমৰ পূব সীমাই চীনদেশ চুইছিল।[২৯] কিন্তু এই কথাটো অতিৰঞ্জিত যেন লাগে, কাৰণ, অনুমান হয় প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ পূব দিশত ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা অটব্য অৰণ্যৰ মাজে মাজে বহু ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয়ে বাস কৰিছিল, যিবিলাকক **মহাভাৰত**ত চীনা আৰু কিৰাট বুলি উল্লেখ কৰা হৈছে। উদাহৰণস্বৰূপে, বৰ্তমান নগাঁৱৰ কপিলী উপত্যকাত ডবকা নামৰ এখন ৰাজ্য আছিল আৰু ষষ্ঠ শতিকাৰ আগলৈকে ই কামৰূপ ৰাজ্যৰ ভিতৰুৱা হোৱা নাছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বৰ্তমানৰ দৰং আৰু শোণিতপুৰ জিলা সামৰি শোণিতপুৰ নামৰ এখন ৰাজ্যও এটা সময়ত গঢ়ি উঠিছিল। কিন্তু কামৰূপ ৰাজ্য শক্তিশালী হৈ উঠাৰ লগে লগে এই ৰাজ্য কামৰূপত বিলীন হৈছিল। অৱশ্যে উত্তৰ-পূব সীমান্তত গঢ়ি উঠা চুতীয়াসকলৰ বিদৰ্ভ ৰাজ্য বহু কাললৈকে বৰ্তি আছিল।

খ্ৰীষ্টীয় দশম শতিকাত ৰচিত **কালিকা পুৰাণ**ৰ মতে, কামৰূপ ৰাজ্যৰ পশ্চিম সীমা আছিল কৰতোৱা নদী। এই ৰাজ্যখন ত্ৰিভূজ আকৃতিৰ। কৰতোৱাৰপৰা পূব সীমাৰ দিক্কৰবাসিনীলৈকে ইয়াৰ দৈৰ্ঘ এশ যোজন অৰ্থাৎ ৪৫০ মাইল আৰু ইয়াৰ প্ৰস্থ ৩০ যোজন, অৰ্থাৎ ১৩৫ মাইল।[৩০] যোল্ল শতিকাত ৰচিত **যোগিনীতন্ত্ৰ** আৰু **হৰগৌৰী সম্বাদ**ত এই সমগ্ৰ অঞ্চলক চাৰিটা ভাগ বা পীঠত ভাগ কৰা হৈছে - কৰতোৱাৰপৰা সোণকোষলৈকে ৰত্নপীঠ, সোণকোষৰপৰা কপিলীলৈকে কামপীঠ, পুষ্পিকাৰপৰা

[২৬] ibid., p. 39.

[২৭] ibid.

[২৮] F. E. Pargiter, **Journal of the Asiatic Society of Bengal** (henceforth **JASB**), 1887, p.106.; K.L. Barua, op. cit, p2

[২৯] T. Watters [trans.] **On Yuan Chwang's Travels in India**, vol. II, 1904, pp.185f.; Choudhury, op. cit. p.43

[৩০] cf. Choudhury, op. cit, p.44



ভৈৰৱীলৈ স্বৰ্ণপীঠ বা ভদ্ৰাপীঠ আৰু ভৈৰৱীৰপৰা দিক্ৰং পৰ্যন্ত সৌমাৰপীঠ।[৩১] কিন্তু এই ভাগকেইটাই অসমৰ সকলো অঞ্চল সামৰি লোৱা নাই। **যোগিনীতন্ত্ৰ**ৰ মতে কামৰূপৰ সীমা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে পশ্চিমে কাঞ্চনজঙঘা পৰ্বত আৰু কৰতোৱা নদীৰপৰা পূবে দিক্ৰং নৈ পৰ্যন্ত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পশ্চিমে ব্ৰহ্মপুত্ৰ আৰু লাক্ষাৰ সঙ্গমস্থলৰপৰা আৰম্ভ কৰি পূবে দিক্ষু (দিখৌ) নদীলৈকে আছিল -

'নেপালস্য কাঞ্চনাদ্ৰিং ব্ৰহ্মপুত্ৰস্য সংগসম্।
কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিক্কৰ বাসিনীং।।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে।
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যকে।।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি।
কামৰূপ ইতি খ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিতঃ।।'[৩২]

সেই সময়ত উত্তৰ পাৰে যি ঠাইত দিক্ৰং নদী ব্ৰহ্মপুত্ৰত পৰিছিল প্ৰায় তাৰ বিপৰীতে দক্ষিণ পাৰে দিখৌ নদীখন পৰিছিল। এই বিৱৰণৰপৰা এই কথা স্পষ্ট হয় যে ব্ৰহ্মপুত্ৰৰ উত্তৰে দিক্ৰং নদী আৰু দক্ষিণে দিখৌ নৈৰ পূবৰ অঞ্চলটো কামৰূপ ৰাজ্যৰ ভিতৰত নাছিল আৰু এই অঞ্চলতে চুতীয়াসকল আৰু তেওঁলোকৰ সমগোত্ৰীয় কছাৰী, মৰাণ আৰু বৰাহীসকলে ৰাজত্ব কৰিছিল।

গ্ৰীক আৰু ৰোমান পণ্ডিত তথা ভ্ৰমণকাৰীসকলৰ টোকাত পুৰণি অসমৰ বিষয়ে কিছু কথা পোৱা যায়। টলেমীয়ে তেওঁৰ ভূগোলত (আনুঃ ১৫০ খ্ৰীঃ), চেৰেচ (Seres) বা চেৰিকা (Serica) নামৰ এখন দেশৰ উল্লেখ কৰিছে। তেওঁ কৈছে যে চেৰিকা দেশৰ পূবত অনেক পাহাৰ আৰু অৰণ্য আছিল। সেইবিলাকত অজস্ৰ বেত পোৱা গৈছিল আৰু বেতেৰে সেই ৰাজ্যৰ মানুহে দলং নিৰ্মাণ কৰিছিল। চেৰিকা দেশৰ মাজেৰে অকাৰদিচ (Occardis) আৰু বৌটাচ (Bautes) নামে দুখন নদী বৈ গৈছিল।[৩৩] এই নদী দুখনক প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে যথাক্ৰমে চাংপো আৰু ব্ৰহ্মপুত্ৰৰ লগত চিনাক্ত কৰিছে।[৩৪] চেৰিকা দেশৰ কেইখনমান পাহাৰ হ'ল আন্নুবি/Annubi (অঁকা পাহাৰ), কেচিয়াচ/Casius (মিচিমি পাহাৰ), থগুৰচ/Thagurus (সম্ভৱতঃ আবৰ পাহাৰ) আৰু ইম'দি/Emodi (সম্ভৱতঃ তিব্বতৰপৰা অসমক পৃথক কৰা হিমালয় পৰ্বতমালা)।[৩৫]

[৩১] *ibid.*, pp.44f.

[৩২] **যোগিনীতন্ত্ৰ**, একাদশ পটল, ১৬-১৮ পদ; ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু, 'কালিকা পুৰাণৰ দেৱী দিক্কৰবাসিনীৰ অঞ্চল', **অসম সাহিত্য সভা পত্ৰিকা**, সপ্তবিংশ বছৰ, ২য় সংখ্যা, যোৰহাট, ১৯৮০, পৃঃ ২০-২৬।

[৩৩] cf. Choudhury, op. cit, pp-31-33

[৩৪] *ibid.*, p.33.

[৩৫] *ibid.*

ৰক্ষা কৰিবলৈ যত্ন কৰে। সামাজিকভাৱে উদাৰ আহোমসকলে তেনে ব্যৱধান বজাই নাৰাখি মুকলি মনেৰে সকলোৰে লগত মিলা-মিচা আৰু ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। এনে সামাজিক উদাৰতাৰ বাবেই আহোম ৰাজত্বত অসবৰ্ণ বিবাহে গা কৰি উঠিছিল। বিজেতা হৈয়ো তেওঁলোকে থলুৱা তিৰোতা গ্ৰহণ কৰিছিল। সেই কাৰণেই Waddell-য়ে কৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা জাতি গোষ্ঠীৰ মাজত ৰক্তৰ সংমিশ্ৰণ ব্যাপক।[৩৯]

উপৰোক্ত আলোচনাৰপৰা দেখা যায় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জাতি-গোষ্ঠীৰ ভিতৰত চুতীয়াসকলৰ লগত আহোমৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন হৈছিল। আহোম ৰাজতন্ত্ৰৰ অৱনতিৰ সময়চোৱাত যেতিয়া কোনো কোনো গোষ্ঠীয়ে আহোম ৰাজ্যত বিদ্ৰোহ ঘোষনা কৰিছিল সেই সময়ত চুতীয়াসকলে আহোম ৰাজতন্ত্ৰৰ দুৰ্ব্বলতা বা বিশৃংখল পৰিস্থিতিৰ সুযোগ লৈ আহোম স্বৰ্গদেৱৰ বিৰুদ্ধে ঠিয় দিয়া নাছিল। আহোম ৰাজতন্ত্ৰৰ দুৰ্যোগৰ কালচোৱাত চুতীয়াসকল আহোম ৰাজতন্ত্ৰৰ পক্ষতে থাকি প্ৰমাণ কৰি দেখুৱালে যে আহোম-চুতীয়াৰ সম্পৰ্কৰ শিপাদাল অত্যন্ত গভীৰ। এইফালৰপৰা বিচাৰ কৰিলে আহোম-চুতীয়াৰ সম্পৰ্কৰ ইতিহাসক সংঘৰ্ষৰ ইতিহাস বুলি নকৈ, সম্প্ৰীতিৰ ইতিহাস বুলি কবলৈহে মন যায়।

---

৩৯ L.A. Waddell, The Tribes of the Brahmaputra Valley, p.9.

## মিৰি-চুতীয়া বা চুতীয়া-মিৰি

চুতীয়া জাতিৰ অন্যান্য সামাজিক ভাগ আৰু খেলসমূহৰ মাজত মিৰি-চুতীয়া বা চুতীয়া-মিৰি নামৰ খেলটোও অন্যতম। চুতীয়া আৰু মিৰি (মিছিং) এই দুয়োটা জাতিৰ ভাষাৰ মাজত কোনো মিল নাই। সামাজিক-সাংস্কৃতিক দিশতো তেওঁলোকৰ সামঞ্জস্য সীমিত। বুৰঞ্জীতো এই দুটা জনগোষ্ঠীৰ ৰাজনৈতিক সম্পৰ্কৰ বিষয়ে বিতংভাৱে জনা নাযায়। কিন্তু এইটো ঐতিহাসিক সত্য যে এই দুয়োটা জনগোষ্ঠীয়ে বহু কাল ধৰি ওচৰা-ওচৰিকৈ বাস কৰিছিল, কাৰণ ঐতিহাসিক চুতীয়া ৰাজ্যখন অকা, ডফলা, মিৰি আৰু মিচিমি পাহাৰেৰে পৰিবেষ্টিত আছিল। বহুবছৰ ধৰি প্ৰতিবেশী হিচাবে বাস কৰিবলগীয়া হোৱাত তেওঁলোকৰ মাজত নিশ্চয় সামাজিক সংস্পৰ্শ তথা সম্বন্ধ স্থাপন হৈছিল আৰু তাৰ ফলশ্ৰুতিতেই মিৰি-চুতীয়া বা চুতীয়া-মিৰি নামৰ খেলৰ সৃষ্টি হৈছিল।

মিৰি শব্দৰ উৎপত্তি সম্পৰ্কে ভিন্ন জনে ভিন্ন মত আগবঢ়াইছে। আহোম যুগত যিসকল লোকে আবৰসকলৰ লগত অসমীয়া বেপাৰীৰ মধ্যস্থতা কৰিছিল অৰ্থাৎ



যোগাযোগকাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল তেওঁলোকক মিৰি বোলা হৈছিল।[১] মিৰি শব্দৰ অৰ্থ অসমীয়া কথিত ভাষাত মাজৰ মানুহ অৰ্থাৎ মধ্যস্থতাকাৰী।[২] কিন্তু সম্প্ৰতি অৰণ্যে মিৰিসকলে মিৰি নামটো অসন্মানজনক বুলি ভাবে আৰু তেওঁলোকে নিজকে মিছিং বুলি পৰিচয় দিয়ে।[৩] বুৰঞ্জীবিদ গেইট চাহাবেও মিৰিসকল শান্তিপ্ৰিয় আৰু অসমৰ লগত আবৰসকলৰ মধ্যস্থতাকাৰী বা যোগাযোগকাৰী বুলি কৈছে।[৪] মিছিং ভাষাত শান্তিপ্ৰিয় শব্দৰ সমাৰ্থক শব্দ হ'ল আনচিং। সেইবাবে মিছিং ভাষাৰ মি (মানুহ) শব্দৰ লগত আনছিং (শান্ত) শব্দ যোগ হৈ মিছিং শব্দৰ উৎপত্তি হোৱাৰ সম্ভৱনা নথকা নহয়।[৫]

একেখন ৰাজ্যতে বা ওচৰা-ওচৰিকৈ বাস কৰা জাতিসমূহৰ মাজত কেৱল ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্বন্ধ স্থাপন হোৱাই নহয় সামাজিক আৰু সাংস্কৃতিক দিশতো সীমিত ভাৱে হ'লেও পাৰস্পৰিক সংমিশ্ৰণ ঘটাটো স্বাভাৱিক। এনে সম্বন্ধ আৰু সংমিশ্ৰনৰ ফলতেই 'চুতীয়া-মিৰি' আৰু 'মিৰি-চুতীয়া'ৰ উৎপত্তি হোৱা বুলি ভাৱিবৰ স্থল আছে। চুতীয়া-মিৰি আৰু মিৰি-চুতীয়া দুয়োটা শব্দৰ সামগ্ৰিক অৰ্থ একে যেন লাগিলেও বুৰঞ্জীৰ উদ্ধৃতি আৰু প্ৰচলিত জনশ্ৰুতিত চুতীয়া-মিৰি আৰু মিৰি-চুতীয়াৰ সংজ্ঞা একে নহয় যেন লাগে। সি যি কি নহওক সামাজিক সংমিশ্ৰণ, ভৌগোলিক অৱস্থিতি আৰু সীমিতভাৱে হ'লেও স্থাপিত হোৱা ৰাজনৈতিক সম্বন্ধৰ ফলশ্ৰুতিতেই চুতীয়া-মিৰি আৰু মিৰি-চুতীয়া নামৰ খেলৰ উৎপত্তি হোৱাটো সম্ভৱপৰ।

অৰ্থনৈতিক কাৰণেও মিছিং আৰু চুতীয়া এই দুয়োটা জাতিক ওচৰ চপাই আনিছিল। প্ৰথম আৰু দ্বিতীয় অধ্যায়ত উল্লেখ কৰা হৈছে যে পৌৰাণিক কালৰে পৰাই সদিয়া এখন আন্তৰ্জাতিক বজাৰ আছিল। উত্তৰ-পূব সীমান্তৰ পাহাৰীয়া জাতিসকলৰ বাহিৰেও চীন, তিব্বত, ম্যানমাৰ আদি দেশৰ লগত যোগাযোগ থকা এই বজাৰখনৰ মধ্যস্থতাকাৰী হিচাবে মিছিংসকলে বিশেষ ভূমিকা পালন কৰিছিল বুলি ভাৱিবৰ থল আছে। কাৰণ, আগতে কৈ অহাৰ দৰে অসমীয়া কথিত ভাষাত মিৰি শব্দটোৰ অৰ্থ হ'ল মাজৰ মানুহ।

মিছিংসকলে পাহাৰৰ পৰা ভৈয়ামলৈ আহি পোনতে চুতীয়া ৰাজ্যখনেই পাইছিল। চুতীয়া ৰাজ্যখনৰ পাহাৰীয়া দাঁতি কাষৰীয়া অঞ্চলবোৰতে প্ৰথমে তেওঁলোকে থিতাপি লৈছিল। সেইসকলকে 'দাঁতি-অলীয়া' মিৰি বুলি আখ্যা দিয়া হৈছিল।[৬] এই 'দাঁতি-অলীয়া' মিৰিসকলে সম্ভৱতঃ চুতীয়া ৰাজ্যখনৰ ওপৰতে নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ

---

১ L. Devi, **Ahom Tribal Relation**, p.158

২ *ibid.*

৩ ডাঃ নোমল পেগু, **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ১৩

৪ E. A. Gait, **A History of Assam**, p. 322

৫ ডাঃ নোমল পেগু, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০

৬ ডাঃ নোমল পেগু, 'অসম বুৰঞ্জীত মিছিংসকলৰ প্ৰসঙ্গ', **অপাংক্তেয়**, (ৰচনা সংকলন), ডিব্ৰুগড়, ২০০৪, পৃঃ ৮৩।

কৰিছিল। চুতীয়াসকলৰ লগত এই মিৰি (মিছিং)-সকলৰ এক ওচৰ সম্বন্ধ স্থাপন হৈছিল। আহোমসকলেও মিৰি (মিছিং)-সকলক পাহাৰীয়া জাতিসমূহৰ লগত বাণিজ্যিক লেন-দেন আৰু যোগাযোগকাৰী হিচাবে ব্যৱহাৰ কৰিছিল।[৭] অন্যহাতে চুতীয়া ৰাজ্যৰ দাঁতি কাষৰীয়া অঞ্চলত থকা এই মিৰি (মিছিং)-সকলে চুতীয়া ৰাজ্যৰ চোৰাংচোৱা আৰু পাহাৰীয়া জাতিসকলৰ লগত কটকী (চৌতাং) ৰূপে চুতীয়া ৰাজ্যৰ সীমা সুৰক্ষাৰ কামত নিয়োজিত হোৱাৰ কথাটো নুই কৰিব নোৱাৰি। সম্ভৱতঃ সেইবাবেই চুতীয়া ৰাজ্যখনৰ লগত পাহাৰীয়া জনজাতিসকলৰ কোনো ধৰণৰ সংঘৰ্ষ হোৱাৰ কথা জনা নাযায়। চুতীয়া ৰাজ্য পতন (১৫২৩ খ্ৰীঃ) হোৱাৰ পিছতহে পাহাৰীয়া জাতিসমূহে সদিয়া বা পূৰ্বৰ চুতীয়া ৰাজ্যৰ অন্তৰ্গত বিভিন্ন ঠাইত আক্ৰমণ চলোৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। চুতীয়াসকলৰ লগত থকা ঘনিষ্ঠ সম্বন্ধৰ বাবেই এইসকল মিৰি (মিছিং)ক পাহাৰীয়া জাতিসকলে 'পাগৰ' অৰ্থাৎ জাত যোৱা আৰু চুতীয়া বা অন্যান্যসকলে 'চুতীয়া-মিৰি' আখ্যা দিছিল। পেগু, দলে, কুলি, কুটুম - এই চাৰিটা খেলৰ লোক পাগৰ দলত সীমাবদ্ধ।[৮]

মিছিংসকলে পূৰ্বতে অৰুণাচলৰ বিভিন্ন স্থানত বাস কৰাৰ সময়ত প্ৰায়ে বৰ-আবৰৰ মিয়ং আৰু পাদাম প্ৰভৃতি উপজাতিসকলৰ লগত সংঘৰ্ষ সৃষ্টি হৈছিল।[৯] বৰ-আবৰসকলে মিৰি (মিছিং)-সকলৰ কোনো কোনোক তেওঁলোকে বহতীয়া বা দাস হিচাবেও ব্যৱহাৰ কৰিছিল।[১০] এইবোৰ কাৰণতে তাৰপৰা পৰিত্ৰাণ বিচাৰি মিৰি (মিছিং)-সকলে ভৈয়ামলৈ নামি আহে।[১১] বিভিন্ন পথেদি ভৈয়ামলৈ আহি তেওঁলোকে চুতীয়া ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰে আৰু সেই ৰাজ্যৰে প্ৰজা হিচাবে থাকিবলৈ লয়। চুতীয়া ৰজায়ো তেওঁলোকক হাতী ঘাঁহী, কাঁড়ী, বিহিয়া* আদি খেলত নিযুক্তি দিছিল। চুতীয়া ৰাজ্যত বাস কৰা মিছিংসকলকে আহোমসকলে 'চুতীয়া-মিৰি' বুলিছিল।[১২] আহোমে চুতীয়া ৰাজ্য আক্ৰমণ কৰাৰ পিছত অন্যান্য প্ৰজাৰ লগতে মিছিংসকলো আহোমৰ তলতীয়া হৈ পৰিছিল। চুতীয়া ৰাজ্যত বাস কৰা মিৰি বা মিছিংসকলে সেই ৰাজ্যত যি যি বিষয়বাব খাইছিল বা যিবোৰ কামত নিয়োজিত আছিল সম্ভৱতঃ আহোমসকলৰ

[৭] L. Devi, **Ahom Tribal Relations**, p. 159

[৮] **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ২৪-২৬

[৯] সোণাৰাম পাএাং কটকী, **মিৰি জাতিৰ বুৰঞ্জী**, পৃঃ ৫৩-৫৪; নোমল পেগু, পৃঃ ৪১

[১০] **Ahom Tribal Relations**, p. 158

[১১] **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ৪১

* চুতীয়া ৰাজত্বৰ সময়ত মিৰিসকলক হাতী ঘাঁহী খেলত নিযুক্তি দিয়াৰ কথা বুৰঞ্জীত উল্লেখ পোৱা যায়। উদাহৰণ স্বৰূপে, ১৬৫৫ খ্ৰীঃ সংঘটিত হোৱা মিৰি-চুতীয়া বিদ্ৰোহ দমন কৰিবৰ বাবে যোৱা কলীয়া দলৈয়ে মিৰিসকলক কৈছিল - "তহতে চুটীয়া ৰজাৰ হাতী ঘাহী বন্দীহে, কোন ডাঙৰ মানুহ?"; শ্ৰী শৰৎ কুমাৰ দত্ত সম্পাদিত **অসম বুৰঞ্জী**, পৃঃ ১০। আনহাতে বিহিয়া নামৰ মিৰি-চুতীয়া খেল এটা চুতীয়া ৰাজত্বৰ সময়ৰ পৰাই আছিল আৰু সেই খেলক পিছত আহোমসকলে বিহ দি মাছ মৰা আৰু সোণ উৎপাদনৰ কামত নিয়োগ কৰিছিল। মিৰিসকল দক্ষ কাঁড়ী আছিল। সম্ভৱতঃ তেওঁলোক চুতীয়া ৰজাৰ অধীনতো কাঁড়ী-যোদ্ধা হিচাবে কাম কৰিছিল।

[১২] **Ahom Tribal Relations**, p. 160; গোপীনাথ বৰদলৈ, **চুতীয়া বুৰঞ্জী**, পৃঃ ১০



তলতো সেই একেধৰণৰ বিষয়তে তেওঁলোক নিয়োজিত হৈছিল। উদাহৰণ স্বৰূপে আহোম প্ৰশাসনত মিৰি (মিছিং)-সকলক পাহাৰীয়া জনজাতিসকলৰ লগত বেহা-বেপাৰ আৰু যোগাযোগকাৰী হিচাবে ব্যৱহাৰ কৰিছিল। সম্ভৱতঃ এই কাম তেওঁলোকে চুতীয়া ৰজাৰ আমোলতো কৰিছিল। বিহিয়া মিৰি আৰু বিহিয়া চুতীয়া নামৰ খেল চুতীয়াৰ ৰাজত্বৰ সময়ৰ পৰাই আছিল। তেওঁলোককে আহোমে বিহ প্ৰস্তুত কৰিবলৈ দি বিভিন্ন কামত নিয়োজিত কৰিছিল। ইয়াৰ উপৰিও আহোম প্ৰশাসনত বহুতো চুতীয়া-মিৰিক কাঁড়ী খেলত ভুক্ত কৰিছিল। সেইবোৰৰ ভিতৰত 'চুতীয়া-মিৰি' কাঁড়ী, 'মিৰি-বৰাহী' কাঁড়ী, 'দৈতিয়াল-মিৰি' কাঁড়ী, 'সদিয়াল-মিৰি' কাঁড়ী আদিয়েই প্ৰধান।[১৩]

মিছিংসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে আহোম-চুতীয়া যুদ্ধত পৰাজিত চুতীয়া সৈন্যই দাঁতি-কাষৰীয়া মিৰিসকলৰ গাঁৱত আশ্ৰয় লৈ আত্মগোপন কৰাৰ পিছত বহুতে মিৰিসকলৰ লগতে থাকিবলৈ লয়[১৪] আৰু তেওঁলোকৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন কৰে। চুতীয়া আৰু মিৰি (মিছিং)ৰ মাজত বৈবাহিক সম্বন্ধৰ ফলত হোৱা লোকসকলক মিৰি-চুতীয়া বোলে।[১৫] যিসকল চুতীয়াই পলাই গৈ কোনো মিৰিৰ ঘৰত আশ্ৰয় লৈছিল সেইঘৰ মানুহৰে উপাধি গ্ৰহণ কৰি নিজকে চিনাকী দিছিল।[১৬] আন এক জনশ্ৰুতিৰ মতে মানৰ আক্ৰমণৰ সময়ত অনেক চুতীয়া লোক মিছিংসকলৰ মাজত সোমাই আত্মগোপন কৰি আছিল। সেইসকলে মিছিংসকলৰ লগতে বৈবাহিক সম্বন্ধ স্থাপন কৰি তেওঁলোকৰ লগতে মিলি গৈছিল আৰু সেইসকলকে মিৰি-চুতীয়া বোলা হৈছিল। এই সম্পৰ্কত চাৰুচন্দ্ৰ দলৈ মিৰিয়ে তেখেতৰ 'মিৰি-জাতি' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে যে, "মান ভগনত অনেক অসমীয়া চুটীয়া মানুহ মিৰিৰ ঘৰে ঘৰে সোমায়। সিহঁত আৰু অসমীয়া চুটীয়া সমাজলৈ নগৈ মিৰি জাতিৰ লগতে বিয়া-বাৰু চলাব ধৰে। সেই দেখি মিৰিৰ 'দলে' আৰু পেগু' নামে দুটা খেলে চুতীয়া বুলি চিনাকী দিয়ে"।[১৭] বৰ্তমান মিৰি-চুতীয়া নামৰ কোনো খেল মিছিং বা চুতীয়াসকলৰ মাজত পোৱা নাযায় যদিও এসময়ত বহুতো মিছিং মানুহে নিজকে 'চুতীয়া-মিৰি' বা 'মিৰি-চুতীয়া' বুলি পৰিচয় দিছিল। বহুতৰ মাটিৰ পট্টাতো 'চুতীয়া-মিৰি' বুলি লিখাৰ উদাহৰণ আছে। পুৰণি মৌজাদাৰৰ কাৰ্যালয়বোৰত বিচাৰিলে এনে উদাহৰণ এতিয়াও পোৱা যাব। সোনাৰাম পায়াং কটকীয়ে **মিৰি জাতিৰ বুৰঞ্জী** নামৰ পুস্তিকাখনত এঠাইত উল্লেখ কৰিছে যে,

[১৩] L. Devi, **Ahom Tribal Relations**, p. 161

[১৪] "তাৰ পুত্ৰ ভাই যত সকলে পলাইল।
মিৰি মিচিমিত পখি প্ৰাণক ৰাখিলা।।", **দৰং ৰাজবংশাৱলী**, পৃঃ ৭৪

[১৫] সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৫৪৪; সূৰ্য্যকান্ত কনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি**, পৃঃ ১৫৫

[১৬] **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ৬৭

[১৭] চাৰুচন্দ্ৰ দলৈ মিৰি, "মিৰি-জাতি" **চেতনা**, চতুৰ্থ বছৰৰ পঞ্চম সংখ্যা, আঘণ, ১৮৪৪ শক, পৃঃ ১১৫

'চুতীয়া-মিৰি'সকল উজনিৰ শিলনি মূৰৰ পৰা ভটীয়াই খেৰকটীয়া মুখলৈকে জুৰি আছে।[১৮]

চুতীয়াসকলৰ মাজত প্ৰচলিত 'মিৰি-চুতীয়া' সম্পৰ্কীয় জনশ্ৰুতি মতে পূৰ্বে চুতীয়াসকলৰ লগত মিৰিসকলৰ এক সংঘৰ্ষ হয়। উক্ত সংঘৰ্ষৰ ফলত যিসকল মিৰি লোকক বহতীয়া হিচাবে ৰাখিছিল সেইসকলকে পিছত 'মিৰি-চুতীয়া' বা 'চুতীয়া-মিৰি' আখ্যা দিয়া হৈছিল।[১৯] চুতীয়া ৰাজত্বকালত মিৰি (মিছিং) আৰু চুতীয়াসকলৰ মাজত পূৰ্বতে যুদ্ধ সংঘটিত হৈছিল যদিও সেই বিষয়ে পিছৰ সময়চোৱাত আহোমসকলৰ দ্বাৰা লিখিত বুৰঞ্জীসমূহত উল্লেখ নাই। স্বৰ্গদেৱ উদায়াদিত্য সিংহৰ দিনত (১৬৭০-১৬৭২ খ্ৰীঃ) লুক্‌টেক্‌, টাই কাপি, চুতীয়াই দুখন মিৰি গাঁও আক্ৰমণ কৰাৰ কথাহে উল্লেখ আছে।[২০]

চুতীয়া আৰু মিৰি (মিছিং)-সকলৰ মাজত ওচৰ সম্বন্ধ থকাৰ কথা অন্য এক প্ৰচলিত জনশ্ৰুতিৰ পৰাও প্ৰমাণ হয়। চুতীয়া আৰু মিছিং দুয়োটা জাতিৰ ভিতৰতে বুৰুক নামৰ এটা খেল আছে।[২১] বুৰুকসকলে বুৰুক নাম পোৱাৰ ক্ষেত্ৰতো এটা জনশ্ৰুতি আছে।[২২] বুৰুক খেলৰ মানুহে ছাগলী আৰু জাতিলাও নেখায়। মিছিংসকলৰ মাজত মৌদক (মেদক) বংশৰ লোকসকলক বুৰুক বুলি কোৱা হয়। মেদকসকলকে এসময়ত অন্যান্য মিছিংসকলে 'চুতীয়া-মিৰি' বা 'মিৰি-চুতীয়া' বুলি কৈছিল।* নিজকে বুৰুক চুতীয়া বুলি চিনাকি দিয়া লোক এতিয়াও লক্ষীমপুৰ জিলাৰ বিভিন্ন ঠাইত আছে।** আনহাতে মৰাণসকলৰ মাজতো বুৰুক নামৰ এটা খেল আছে।[২৩] চুতীয়া, মিছিং আৰু মৰাণসকলৰ মাজত বুৰুক খেলৰ উৎপত্তি সম্পৰ্কীয় জনশ্ৰুতিও একেধৰণৰ। আন এক জনশ্ৰুতিৰ মতে, ভুৰুক চুতীয়া নামৰ এজন খৰীয়া (খৰ থকা) মানুহৰ কন্যা সম্ভৱতঃ কোনো মিছিং লোকলৈ বিয়া দিছিল। আৰু সেইসকলেই 'বুৰুক-চুতীয়া' আৰু 'চুতীয়া-মিৰি' বা 'মিৰি-চুতীয়া' নামে পৰিচিত হয়।[২৪]

বুৰুক চুতীয়াৰ দৰে চুতীয়াসকলৰ মাজত 'বিহিয়া' আৰু 'বেবেজীয়া' নামেৰে দুটা খেল আছে। মিছিংসকলৰ মাজতো এই দুটা খেল আছে। চুতীয়াসকলৰ মাজত

১৮ **মিৰি জাতিৰ বুৰঞ্জী**, পৃঃ ৫৪

১৯ সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৫৪৪

২০ **Ahom Buranji**, pp. 225-226

২১ সোনাৰাম পায়াং কটকী, পৃঃ ৭০

২২ ভুবন চুতীয়া, "বুৰুক চুতীয়াৰ দুটিমান কিংবদন্তি", **স্মৃতিগ্ৰন্থ**, সদৌ অসম চুতীয়া জাতি সন্মিলন, ১৯৭৪, পৃঃ ৪২-৪৩; কাতিৰাম মেদক, "মেদক বংশৰ পৰিচয় আৰু পৰম্পৰা", **দগনী**, পৃঃ ১১

* ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সংগৃহিত তথ্য

** ঐ

২৩ ভুবন চুতীয়া, পৃঃ ৪২

২৪ চাৰুচন্দ্ৰ দলৈ মিৰি, পৃঃ ১১৫



প্ৰচলিত জনশ্ৰুতি মতে, বিহিয়া সকলে পূৰ্বতে বিহ প্ৰস্তুত কৰি কাঁড়ৰ তীৰত লগাইছিল আৰু বিহ দি মাছ ধৰাৰ কাম কৰিছিল বাবে তেওঁলোকক বিহিয়া বোলা হয়। মিছিংসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে, বিহ দি মাছ মৰা কামত বাধা দি পাহাৰীয়া লোকে পাহাৰৰপৰা তেওঁলোকক খেদি দিছিল আৰু জনচেৰেক বিহিয়া লোকে ওচৰৰ মিছিং গাঁৱত সোমাই পাহাৰীয়া লোকৰ চকুৰপৰা সাৰি থাকিবলৈ চাংঘৰ সাজি আছিল আৰু মিছিং আচাৰ-নীতি কিছু শিকি লৈছিল।[২৫] এই বিহিয়াসকলকেই 'মিৰি-চুতীয়া' বোলা হৈছিল। আনহাতে বহুতৰ মতে বেত কাটি জীৱন নিৰ্বাহ কৰা সকলকে বেবেজীয়া বোলা হৈছিল। কিন্তু সেই ব্যাখ্যা শুদ্ধ নহয় যেন লাগে। বেবেজীয়া শব্দৰ আভিধানিক অৰ্থ সানমিহলি। সম্ভৱতঃ চুতীয়াসকলৰ লগত বিভিন্ন জাতৰ মানুহৰ সংমিশ্ৰণৰ ফলতহে বেবেজীয়া চুতীয়া নামৰ খেলটোৰ সৃষ্টি হৈছিল। হয়টো সেইবাবেই বেবেজীয়া নামৰ খেল চুতীয়াসকলৰ উপৰিও সোণোৱাল, মিচিমি, মিছিং আদি জাতিৰ মাজতো আছে। আহোম স্বৰ্গদেৱ প্ৰতাপসিংহ (১৬০৩-১৬৪১ খ্ৰীঃ)-ৰ ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱাই অসমৰ বিভিন্ন ঠাইত কেইবাখনো বেবেজীয়া গাঁও স্থাপন কৰিছিল। অসমৰ বিভিন্ন ঠাইত অৱস্থিত প্ৰায়বোৰ বেবেজীয়া খেলতে চুতীয়া আৰু মিছিং জাতিৰ মানুহ পোৱা যায়। বেবেজীয়া মিৰি নামৰ একশ্ৰেণী মানুহ এতিয়াও গোলাঘাট জিলাত আছে। সম্ভৱতঃ বেবেজীয়া খেলৰ মানুহে অৱস্থাত পৰিহে বেত কাটিবলগীয়া হৈছিল। সেই বাবে বেত কটা বেবেজীয়া বুলিও এইসকলক কোৱা হয়। এই কথা কোযেশ্বৰ বৰুৱা দেৱৰ **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা** নামৰ গ্ৰন্থত এনেদৰে আছে - "চুতীয়া ৰাজ্য পতনৰ পিছত পেটৰ দায়ত পৰি চুতীয়াসকলে পূৰ্বৰ বৃত্তি সলনি কৰিবলগা হ'ল। বেত কাটি, বিল-ডোঙত বিহ দি মাছ মাৰি পেট প্ৰৱৰ্তাৱ লগা হ'ল। 'বেট কটা-বেবেজীয়া' আৰু 'বিহ দি মাছমৰা' (বিহিয়া) চুতীয়াৰে দুটা বৃত্তিধাৰী খেলৰ উদ্ভৱ হ'ল।"[২৬]

ধৰ্মীয় দিশত চুতীয়া আৰু মিছিং এই দুটা জাতিৰ মাজত ওচৰ সম্বন্ধ আছিল যেন লাগে। যিহেতু এসময়ত চুতীয়া ৰাজ্যত কিছুসংখ্যক মিছিং মানুহে বহুকাল ধৰি বাস কৰিছিল, গতিকে সেই মিছিংসকলৰ মাজত চুতীয়াসকলৰ ধৰ্মীয় বিশ্বাসৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। মিছিংসকলৰ মাজত নিজস্ব কিছুমান ধৰ্মীয় বিশ্বাস প্ৰচলিত আছে যদিও তেওঁলোকে চুতীয়া ৰাজ্যত বাস কৰা কালত 'চুতীয়া-দেউৰী'সকলৰ ধৰ্মীয় কামত অঙ্গাংগী ভাবে জড়িত হৈ পৰা কথাটো নুই কৰিব নোৱাৰি। সেই কথা নিম্ন উল্লেখিত বিশ্লেষণবোৰৰ পৰাই এটা ধাৰণা কৰিব পৰা যায়।

আগতেই কৈ অহা হৈছে যে মিৰি শব্দই মধ্যস্থতাকাৰীক বুজায়। দেৱতা আৰু মানুহৰ মাজত মধ্যস্থতা কৰাজনকে মিৰি বোলা হয়।[২৭] ডেল্টনে তেওঁৰ **Tribal His-**

২৫ **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ২৯

২৬ কোযেশ্বৰ বৰুৱা, **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, পৃঃ ৯০

২৭ ললিত চুতীয়া, **চুতীয়া জনগোষ্ঠীৰ চমু বুৰঞ্জী**, পৃঃ ৩৭

**tory of Eastern India**-নামৰ গ্ৰন্থত মিৰি শব্দৰ লগত উৰিষ্যাৰ Meriah (মিৰিয়া) শব্দৰ কিবা সম্পৰ্ক থাকিব পৰাৰ কথা উল্লেখ কৰিছে।[২৮] মিৰিসকলৰ মাজত দলে উপাধি লিখা এখিনি মানুহ আছে। এই দলেসকলক ভাটিৰফালৰপৰা উজাই অহা লোক বুলি কোৱা হয়। সেই কথা সোনাৰাম পায়ং কটকীৰ **মিৰি জাতিৰ বুৰঞ্জী**ত এনেদৰে আছে - "তুমি ভাটিৰ পৰা উজাই আহিছা। গতিকে তোমাৰ ঘৰৰ চতিবোৰৰ গুৰি পশ্চিম ফালে আৰু আগ পূব ফালে কৈ ৰাখিবা। অন্যান্যসকলে গুৰি পূবলৈ আৰু আগ পশ্চিমলৈ কৰে।"[২৯] এই দলে উপাধিটো দলৈ উপাধিৰ পৰা উচ্চাৰণ পৰিৱৰ্তন হৈ উৎপত্তি হোৱা শব্দ। ভৈয়ামৰ দলৈ হ'ল এটি ধৰ্মীয় উপাধি। থান বা মন্দিৰত দলৈসকল ধৰ্মীয় কাৰ্যত নিয়োজিত হয়।[৩০] উৰিষ্যাৰ Meriah (মিৰিয়া) শব্দটো কৃষিজীৱি Kandh (কান্দ) সকলৰ উপাস্য দেৱীৰ আগত নৰবলি দিয়াৰ লগত জড়িত। দেৱীৰ আগত বলি দিবৰ কাৰণে আগবঢ়োৱা ল'ৰা-ছোৱালীবিলাকক মিৰিয় বুলিছিল। এই মিৰিয়বিলাকৰ কেৱল বাচনিত উঠাসকলহে বলি দিয়া হৈছিল। Kandh (কান্দ)-সকলৰ এই বলি-বিধান সদিয়াৰ তাম্ৰেশ্বীৰ মন্দিৰত হোৱা বলি-বিধানৰ লগত সাদৃশ্য আছে। মিছিংসকলৰ ভিতৰত পেগুসকলৰ গোত্ৰটোৰ নাম 'কন্দাৰ'।[৩১] এই কন্দাৰ শব্দটোৰ লগত 'কান্ধ' শব্দটোৰ কিবা যোগসূত্ৰ থাকিব পাৰে। 'মিৰি-চুতীয়া'সকলৰ অন্যতম বাসস্থান সদিয়া হোৱাৰ্লৈ চাই আৰু তাম্ৰেশ্বৰী মন্দিৰত নৰবলি প্ৰথাৰ প্ৰচলনৰ পৰিপ্ৰেক্ষিতত এই 'মিৰিয়' শব্দটোৰ লগত 'মিৰি' শব্দটোৰ সম্পৰ্ক থকাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি।[৩২] হাৰ্হি দেৱালয়ত প্ৰচলিত এক জনশ্ৰুতি মতে পূৰ্বতে হাৰ্হি দেৱালয়ত নৰবলি হোৱাৰ সময়ত বলিৰ বাবে উৎসৰ্গিত 'ষাঁড়ৰ ঘৰ'ৰ মানুহখিনি মিৰি (মিছিং) মানুহ আছিল। সেয়েহে ক'ব পাৰি যে, 'দেউৰী-চুতীয়া'সকলৰ দৰে 'মিৰি-চুতীয়া'ও এটা ধৰ্মীয় সম্প্ৰদায়।[৩৩]

উপৰোক্ত বিশ্লেষণৰ পৰা দেখা যায় যে অতীতৰ চুতীয়া ৰাজ্যখনত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ লগতে মিছিংসকলো আছিল অন্যতম বাসিন্দা। চুতীয়া ৰাজ্যৰ ভিতৰত আৰু সমীপৱৰ্তী পাহাৰীয়া অঞ্চলবোৰত বাস কৰা মিছিং লোকসকলৰ লগত বিভিন্ন ক্ষেত্ৰত হোৱা যোগসূত্ৰ আৰু সংমিশ্ৰণৰ ফলতেই চুতীয়া-মিৰি আৰু 'মিৰি-চুতীয়া' নামৰ খেলৰ উৎপত্তি হৈছিল। চুতীয়া ৰাজ্যত বাস কৰা মিছিংসকলকে 'চুতীয়া-মিৰি' আখ্যা দিয়া হৈছিল। সেই কথা লক্ষী দেৱীৰ **আহোম ট্ৰাইবেল ৰিলেচ্যন্** নামৰ গ্ৰন্থত স্পষ্ট

---

২৮ E.T. Delton, **Tribal History of Eastern India**, 1872, reprint, 1978, p. 29
২৯ সোনাৰাম পায়াং কটকী, পৃঃ ৬৮
৩০ ললিত চুতীয়া, **চুতীয়া জনগোষ্ঠীৰ চমু বুৰঞ্জী**, পৃঃ ৩৭
৩১ **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, পৃঃ ২৫১-২৫২
৩২ ললিত চুতীয়া, **চুতীয়া জনগোষ্ঠীৰ চমু বুৰঞ্জী**, পৃঃ ৪১
৩৩ ঐ



ভাষাত উল্লেখ আছে।[৩৪] মিছিংসকলৰ মাজত বাৰগাম হিচাবে পৰিচিত দলে আৰু পেগু বংশীয় মিছিংসকলকে চুতীয়া-মিৰি বোলা হৈছিল।[৩৫] অন্যহাতে সামাজিক আৰু বৈবাহিক সংমিশ্ৰণৰ ফলত চুতীয়া আৰু মিছিংসকলৰ মাজত যি খেলৰ সৃষ্টি হৈছিল সেইসকলকে সম্ভৱতঃ মিৰি-চুতীয়া বোলা হৈছিল।[৩৬] উদাহৰণস্বৰূপে বেবেজীয়া মিৰি, বিহিয়া মিৰি, বুৰুক আদি খেলবোৰক মিৰি-চুতীয়া আখ্যা দিয়া হৈছিল।* বহুতো লেখকে চুতীয়া-মিৰি আৰু মিৰি-চুতীয়াৰ সংজ্ঞা একে অৰ্থত ব্যৱহাৰ কৰে যদিও এই দুয়োটা সংজ্ঞাৰ মাজত পাৰ্থক্য আছে। ওপৰৰ আলোচনাই সেই কথা প্ৰমাণ কৰে।

বৰ্তমান মিৰি-চুতীয়া বা চুতীয়া-মিৰি নামৰ কোনো খেল চুতীয়া অথবা মিৰি (মিছিং)-সকলৰ মাজত নাই। ব্ৰিটিছৰ আমোলত হোৱা লোক পিয়লবিলাকত চুতীয়াসকলৰ মাজত ওপৰত উল্লেখ কৰা প্ৰথম চাৰিটা ভাগৰ নামহে উল্লেখ আছে। সেই তালিকাত চুতীয়া-মিৰি আৰু মিৰি-চুতীয়াৰ উল্লেখ নাই। কিন্তু বুৰঞ্জী আৰু জনশ্ৰুতিত মিৰি-চুতীয়া আৰু চুতীয়া-মিৰি নামৰ সামাজিক ভাগৰ উল্লেখ থকা কথাই এই দুয়োটা জনগোষ্ঠীৰ মাজত হোৱা সামাজিক সম্বন্ধৰ প্ৰমাণ দাঙি ধৰে। সময়ৰ গতিত চুতীয়া-মিৰি বা মিৰি-চুতীয়া নামৰ খেলৰ লোকসকল সুবিধা অনুযায়ী চুতীয়া নাইবা মিছিঙৰ যিকোনো এটা জাতিত বিলীন হৈ পৰিল।

---

৩৪ L. Devi, **Ahom Tribal Relation**, p. 160
৩৫ সোনাৰাম পাএগং কটকী, পৃঃ ৫৪
৩৬ ১৭ নং পাদটিকা চাওক
* ক্ষেত্ৰ অধ্যয়নৰ পৰা পোৱা তথ্য

## লালুং (তিৱা) চুতীয়া

[১]চুতীয়া জাতিৰ অন্যান্য ভাগবোৰৰ মাজত লালুং চুতীয়াও অন্যতম। লালুং বা তিৱাসকল বৰ্তমান এটা সুকীয়া জনগোষ্ঠী হ'লেও চুতীয়াসকলৰ দৰে তেওঁলোকো বৃহৎ বড়ো জাতিৰে অন্তৰ্ভুক্ত। লালুংসকল যে চুতীয়াৰ নৃ-গোষ্ঠীয় লোক সেই বিষয়ে কেইবাটাও তথ্য পোৱা যায়। টাইসকল অসমলৈ অহাৰ সময়ত বড়ো মূলীয় চুতীয়াসকলক বুজোৱা 'ডিউৰা' শব্দটোকে টাইসকলে 'টিউৰা' বুলিছিল।[১] **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য** নামৰ গ্ৰন্থত সৰ্বানন্দ ৰাজকুমাৰেও আহোমসকলে চুতীয়াসকলক 'টিউৰা' বুলিছিল বুলি উল্লেখ কৰিছে।[২]

---

১ Padmeswar Gogoi, **The Tai and the Tai Kingdoms**, p. 268
২ সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, গুৱাহাটী, ১৯৬৪, পৃঃ ১৪

কোনো এটা শব্দ মানুহৰ মুখ বাগৰি অন্য ৰূপ লোৱাৰ বহুতো উদাহৰণ পোৱা যায়। এই সম্পৰ্কত সূৰ্য্যকান্ত খনিকৰদেৱে তেখেতৰ **চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতি** নামৰ গ্ৰন্থত আগবঢ়োৱা মত প্ৰণিধানযোগ্য - 'চাও থিয়াচ্ বা চৌ-থিয়াচ শব্দৰ অপভ্ৰংশ হৈ যেনেকৈ চুহ্-থিছ্ হৈছিলগৈ আৰু চৌ-থিয়াচৰ পৰা আহি সৌমাৰ খণ্ড পোৱা মানুহখিনি যেনেকৈ চুটিয়া বা চুতীয়া অভিহিত হৈছিল, ঠিক সেইদৰে চুতীয়া শব্দটোও মানুহে বহুতো ঠাইত 'চু' মুখৰ ভিতৰতে ৰাখি চুটিকৈ 'তীয়া' বা 'তিৱা' বুলিহে কোৱা হৈছিলগৈ। দীঘল নামবোৰ মানুহে চুটি কৰি ভাল পায়, গতিকে চুতীয়া, তীয়া আৰু তিৱা এই তিনিওটা শব্দই একে জাতিৰ মানুহকে বুজাইছিল বা তিৱা শব্দ চুতীয়া শব্দৰ অপভ্ৰংশ মাত্ৰ। স্থান বিশেষে তাৰ যি কোনো এটা শব্দই প্ৰাধান্য লাভ কৰিছিল।"[৩] একেজন লেখকেই **স্বৰ্গভূমিৰ লোক বা চুতীয়া জাতি** নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, বড়ো গোষ্ঠীৰ সকলো মানুহেই প্ৰথমে চীনা বা চৌ-থিয়াচ্ৰ পৰা তিব্বতৰ মাজেদি আহি সৌমাৰ খণ্ডত ভৰি দিছিলহি আৰু সেইবাবে সকলোৱে চৌ-থিয়া বা চুতীয়া নামেৰেই অভিহিত হৈছিল; কিন্তু পিছলৈ যিবিলাক দল অন্য ঠাইলৈ গুচি গ'ল তেওঁলোক প্ৰত্যেক ঠাইতে সেইবোৰ ঠাইৰ প্ৰতিবেশীসকলে দিয়া নামেৰে খ্যাত হ'ল।[৪] চুতীয়া শব্দৰ পৰা যদি টিউৰা বা তিৱা শব্দ আহিছে, তেনেহ'লে তিৱাসকল চুতীয়াৰ সমগোত্ৰীয় আৰু তেওঁলোক পূৰ্বতে চুতীয়া ৰাজ্যত বা সৌমাৰ খণ্ডত বাস কৰিছিল বুলি অনুমান কৰিব পাৰি।

এই সম্পৰ্কত চুতীয়াৰ পুৰোহিত দেউৰীসকলৰ মাজত প্ৰচলিত এটা জনশ্ৰুতিওে কিছু কথাৰ সম্ভেদ দিয়ে। উক্ত জনশ্ৰুতিৰ মতে - দেউৰীসকলৰ দিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাটৰ গঞা আদি চাৰিখেলে পূৰ্বতে সদিয়াত বাস কৰিছিল। সম্ভৱতঃ পাহাৰীয়া জনজাতিৰ আক্ৰমণৰ বাবে দেউৰীসকলৰ চাৰিওটা খেলে চাৰিখন ভূৰ বান্ধি আদি বাসস্থান সদিয়া এৰি ব্ৰহ্মপুত্ৰইদি ভটিয়াই আহে।[৫] এনেদৰে ভটিয়াই আহোতে তিনিখেলৰ তিনিখন ভূৰ আহি এটা বালি চৰত লাগিল কিন্তু তাৰে চতুৰ্থখন ভূৰ হেৰাল। সেই ভূৰ খনেই  পাতৰগঞা খেলৰ বুলি কোৱা হয়। চতুৰ্থ ফৈদটো নগাঁও জিলাৰ ওচৰত লালুং (তিৱা) সম্প্ৰদায়ৰ লগত মিলি গ'ল বুলি দেউৰীসকলৰ মাজত প্ৰবাদ আছে। বৰ্তমান তিৱা সম্প্ৰদায়ৰ মাজত দেউৰী উপনাম থকাৰ ওপৰিও ভাষা, সকাম-নিকাম মন্ত্ৰপাঠ আদিতো যথেষ্ট মিল আছে।[৬]

৩ সূৰ্য্যকান্ত খনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতি**, গুৱাহাটী, ১৯৮৯, পৃঃ ২৮

৪ ঐ, পৃঃ ১৬

৫ ভৱানন্দ বুঢ়াগোঁহাই, **শদিয়াৰ বুৰঞ্জী**, পৃঃ ৭১, ৭২

৬ সম্পাদনা, প্ৰশান্ত কুমাৰ মহন্ত, চতুৰ্থ অধ্যায়, মাজুলীৰ জনগাঠনি, **মাজুলী**, যোৰহাট,২০০১,পৃঃ৭৪-৭৫; এই সম্পৰ্কে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লীলা গগৈয়ে খগেন দেউৰীলৈ দিয়া এক চিঠিত এনেদৰে লেখিছিল - "মই ভাৱো, দেউৰীসকলৰ হেৰাই যোৱা ভূৰটো লালুংসকলেই। কাৰণ লালুং শব্দটো দেউৰী শব্দ। দেউৰী ভাষাত



আনহাতে E.T. Dalton-এ **Descriptive Ethnology of Bengal** নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে বিহিয়া নামৰ জনগোষ্ঠীটো চুতীয়াৰে একে বংশৰ আৰু উজনি অসমৰ লালুংসকলৰ এটা জনগোষ্ঠী হিচাবে তেওঁলোকে নিজকে চুতীয়া বুলি দাবী কৰালৈ চাই এইটো অসম্ভৱ নহয় যে সকলো লালুঙেই চুতীয়া।[৭] এই কথাই নিশ্চিত ভাৱে প্ৰমাণ কৰে যে তিৱা বা লালুংসকল চুতীয়াৰে একে নৃ-গোষ্ঠীয় লোক আৰু লালুংসকলৰ মাজত বহুতো লোকে চুতীয়া বুলি পৰিচয় দিয়ে। এইবোৰৰ উপৰিও লোক সাহিত্য, ধৰ্মীয় বিশ্বাস আৰু কলা-সংস্কৃতিৰ ফালৰ পৰাও এই দুয়োটা জনগোষ্ঠীৰ মাজত বহুখিনি মিল আছে। উদাহৰণ স্বৰূপে লালুংসকলে জল-দেৱতা, থল-দেৱতা, শিৱ বা ফা মহাদেউ, ভাগৱতী আই, কেচাঁইখাঁতী আদি পূজা কৰে আৰু শিৱ আৰু কেঁচাইখাঁতীৰ পূজাত ম'হ পৰ্যন্ত বলি দিয়াৰ নিয়ম আজিও প্ৰচলিত যিবোৰ পৰম্পৰা চুতীয়াসকলৰ মাজতো প্ৰচলন আছে।[৮] উল্লেখযোগ্য যে তেওঁলোকৰ নিজৰ দেউৰীয়েহে এইবোৰ পূজাৰ কাম সম্পন্ন কৰে।

'লা' মানে 'এইটো' আৰু 'লু' মানে 'সুতি'। সেইফালৰ পৰা চালে লালুং সম্প্ৰদায়ৰ সৈতে আপোনালোকৰ হেৰাই যোৱা ভূৰৰ লোকসকল মিলি গ'ল।"

৭ "The tribe called Bihiya are of the same family and as a tribe of Lalung in Upper Assam claim to be of Chutiya descent, it is not unlikely that all the Lalungs are Chutia." (E.T. Dalton, Population of the Assam Valley, **Tribal History of Eastern India**, New Delhi, 1978, pp. 77, 78

৮ শ্ৰদ্ধানন্দ দুৱৰা, 'পাচোঁৰজীয়া লালুঙৰ ধৰ্মীয় অনুষ্ঠানৰ ওপৰত সামান্য আলোকপাত', **বাৰ'পুঞ্জী**, স্মৃতিগ্ৰন্থ, তিৱা সাহিত্য সভাৰ তৃতীয় অধিবেশনৰ, বাৰপূজীয়া, ১৯৯৭, পৃঃ ১-১৬

## মৰাণ চুতীয়া

বুৰঞ্জী বা লোকপিয়লবিলাকত মৰাণ-চুতীয়া বুলি চুতীয়াৰ এটা ভাগ বা ফৈদৰ উল্লেখ নাই। কিন্তু মৰাণসকলৰ মাজত চুতীয়া নামৰ খেল আছে।[১] মৰাণসকলেও তাম্ৰেশ্বৰী মাইক পূজা বা উপাসনা কৰিছিল আৰু চুতীয়াসকলৰ দৰে তেওঁলোকে নিজকে কুবেৰৰ সন্ততি বুলি পৰিচয় দিয়ে। তেওঁলোকৰ মাজত প্ৰচলিত বহুতো আচাৰ-অনুষ্ঠানৰ লগত চুতীয়াসকলৰ মিল আছে। কুলাবুঢ়ী নাচ, লখিমী সবাহ, বিবাহ অনুষ্ঠান আদিৰ ক্ষেত্ৰত এই দুই জাতিৰ মাজত বহুখিনি মিল আছে। এইবিলাকৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে মৰাণ আৰু চুতীয়া একেটা বংশৰে নহ'লেও মূলতঃ একেটা জাতিৰেই লোক তথা সমগোত্ৰীয়। মৰাণ আৰু চুতীয়াসকলৰ খাদ্যভাসৰ এটাই পাৰ্থক্য যে

১ বীৰেন্দ্ৰ কুমাৰ গোঁহাই, **মৰাণ জনগোষ্ঠী**, দিশপুৰ, গুৱাহাটী, ১৯৯৫, পৃঃ ১৫

২ সূৰ্য্যকান্ত খনিকৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৫

মৰাণসকলে ছাগলী নেখায়।[২] এটা কিংবদন্তিৰ মতে অতীতত চুতীয়াসকলৰ দুজন ককাই-ভাইৰ দুটা ডাঙৰ পৰিয়াল আছিল। সময়ত সৰু পৰিয়ালৰ মুখিয়ালজনৰ মৃত্যু হয়। মৃতকৰ বেদনাত আঘাত পাই ডাঙৰজনৰ সতি-সন্ততিসকলে কুবেৰক পূজা কৰি তেওঁৰ পৰা অমৰ বৰ লাভ কৰে। ফলত ডাঙৰ পৰিয়ালৰ লোকসকলে বাৰ্ধ্যকৰ কষ্ট আৰু কঠোৰ যন্ত্ৰণা ভোগ কৰিবলৈ ধৰিলে। তেতিয়া তেওঁলোকে পুনৰ কুবেৰৰ পূজা পাতি বৃদ্ধসকলৰ মৃত্যু প্ৰাৰ্থনা কৰিলে। পুৰোহিতে তেতিয়া তেওঁলোকক গাঁৱৰ বৃদ্ধ ছাগলীটো মৰিলে তাকে সৎকাৰ কৰি শ্ৰাৰ্দ্ধ কৰাৰ পৰামৰ্শ দিয়ে। সেইৰূপে কৰাত বৃদ্ধসকলৰ মৃত্যু হ'বলৈ ধৰে। চুতীয়াৰ এই মৰাণ নামৰ পৰিয়াল বা মৰা-নমৰাৰ বংশৰ পৰাই মৰাণ শব্দটোৰ উৎপত্তি বুলি কয়। তেতিয়াৰ পৰাই মৰাণসকলে ছাগলী নেখায়।[৩] বৰাহী চুতীয়া সম্পৰ্কে আগতে উল্লেখ কৰা হৈছে। মৰাণ, বৰাহী, চুতীয়া, কছাৰী এই চাৰিওটা জনগোষ্ঠী এটা সময়ত একেলগে বসবাস কৰিছিল আৰু এই চাৰিওটা জনগোষ্ঠী মূলতঃ একেই। ভাষাৰ ফালৰ পৰাও মৰাণসকলৰ কছাৰীসকলৰ লগত মিল আছিল। আনহাতে কছাৰী ভাষাৰ লগত চুতীয়া ভাষাৰ মিল আছে।[৪]

বৰাহী আৰু চুতীয়াৰ দৰে মৰাণসকলো এটা সংস্কৃতিবান আৰু কৰ্মঠ জনগোষ্ঠী। অসমৰ ৰাজনৈতিক আৰু সামাজিক বুৰঞ্জীত মৰাণসকলৰ এক সুকীয়া বৈশিষ্ট্য বিৰাজমান। বুৰঞ্জী বিখ্যাত মোৱামৰীয়া বিদ্ৰোহৰ প্ৰথম ধ্বজা মৰাণসকলেই উৰুৱাইছিল। তেওঁলোকৰ নেতৃত্বতে বিদ্ৰোহীসকলে জয়লাভ কৰি কিছুদিনৰ বাবে হ'লেও আহোম শাসন তন্ত্ৰ উচ্ছেদ কৰি নিজৰ কতৃত্ব স্থাপন কৰিব পাৰিছিল।

---

৩ ঐ

৪ Census Report, 1881, p. 160; উদ্ধৃতি বীৰেন্দ্ৰ কুমাৰ গোঁহাই, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪; Grierson, **Languistic Survey of India**, Vol. III, p. 130

## মটক চুতীয়া

চুতীয়াসকলৰ মাজত মটক চুতীয়া বুলি এটা ভাগ আজি কিছুদিনৰ আগলৈকে আছিল। প্ৰকৃততে মৰাণ আৰু মটক দুটা বেলেগ জনগোষ্ঠী নাছিল। মৰাণ সকলকে কোনো কোনো বুৰঞ্জীত মটক বোলা হৈছে। এই সম্পৰ্কত ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইয়ে লিখিছে - 'মৰাণ সকলেই মটক আছিল আহোমৰ অসম আগমনৰ সময়ত। মৰাণ শব্দই জাতিক বুজাইছে আৰু মটক শব্দই তেতিয়াৰ মৰাণলোকসকলৰ গুণাবাচক শব্দ হিচাবে আহোমে ব্যৱহাৰ কৰিছিল। মটক শব্দ আহোম সকলে দিয়া। সেয়ে আহোমৰ পুৰণি

---

১ বীৰেন্দ্ৰ কুমাৰ গোহাঁই, **মৰাণ জনগোষ্ঠী**, পৃঃ৭, ৮



বুৰঞ্জীত মৰাণ আৰু মটক এই দুয়োটা শব্দই স্থান বিশেষে ব্যৱহৃত হৈছে।'[১] ইতিমধ্যে কাশীনাথ তামুলী ফুকনে স্পষ্ট ভাষাত লিখি থৈ গৈছে - 'আৰু পূৰ্বে ১১৬৪ সঁকত মটকৰ বদৌচা ৰজা ও বৰাহিৰ থাকুমথা ৰজা, এই দুই ৰজাৰ মিত্ৰ কৰি মিলেৰে বস কৰি, পৰে ১১৭৩ সঁকত মটকক খৰিভাৰি, বাৰিচোআ এনে ললে। এই মটককে মৰাণ বোলে।'[২] মায়ামৰা সত্ৰৰ শিষ্যসকল এটা সময়ত মটক নামেৰে জনাজাত হৈছিল। যিসকল জনগোষ্ঠীয়ে এই সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিছিল তেওঁলোকে মটক পৰিচয়ৰ আগত নিজৰ গোষ্ঠীৰ পৰিচয়টো ৰাখিছিল। উদাহৰণ স্বৰূপে যিসকল চুতীয়াই মায়ামৰা সত্ৰৰ শিষ্য হৈছিল তেওঁলোকৰ পৰিচয় আছিল মটক চুতীয়া অথবা যিসকল কলিতাই এই সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিছিল তেওঁলোকৰ পৰিচয় আছিল মটক কলিতা। পৰৱৰ্তী কালত তেওঁলোকৰ কোনো কোনোৱে মটক পৰিচয় এৰি নিজৰ গোষ্ঠীৰ পৰিচয়লৈ গুচি গ'ল আৰু কোনো কোনো লোক মটক নামেৰে পৰিচিত হৈ মটক জনগোষ্ঠীৰ ভিতৰুৱা হৈ পৰিল। বৰ্তমান মটক-চুতীয়া বুলি কোনো ভাগ নাই। তেওঁলোক হয় মটক নহয় চুতীয়া জনগোষ্ঠীৰ মাজত বিলীন হৈ গ'ল। বেংমৰাৰ মটক ৰাজ্যৰ বৰসেনাপতি সৰ্বানন্দ সিংহৰ বুৰুক-চুতীয়া বংশত জন্ম হৈছিল।

২ কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, সম্পাদনা প্ৰতাপচন্দ্ৰ চৌধুৰী, গুৱাহাটী, ১৯৬৪, পৃঃ ১০

## অন্যান্য চুতীয়া

ইতিহাসৰ ঘটনা পৰিক্ৰমাত বিভিন্ন কাৰণত বিভিন্ন জনজাতিৰ লগত চুতীয়াসকলৰ সামাজিক তথা পাৰিবাৰিক সম্বন্ধ স্থাপন হৈছিল। চুতীয়া ৰাজ্যৰ দাঁতিতে আছিল অকা (হৃছ), ডফলা (নিচি), আবৰ (আদি), মিৰি (মিছিং), মিচিমি আদি পাহাৰীয়া জাতিসকল। এইসকল পাহাৰীয়া জাতিৰ লগত চুতীয়াসকলৰ সীমিত ভাবে হ'লেও বৈবাহিক সম্বন্ধ ঘটিছিল আৰু তাৰ ফলশ্ৰুতিত এসময়ত সেই সেই জনজাতিৰ নামেৰে চুতীয়াসকলৰ কিছুমান সামাজিক গোটৰ সৃষ্টি হৈছিল। কিন্তু সময়ৰ গতিত এই ভাগবোৰ লুপ্ত হৈ গ'ল। সেইখিনি মানুহ হয় নিজ নিজ গোষ্ঠীগত পৰিচয়ত নতুবা চুতীয়া সমাজত বিলীন হৈ গ'ল।

দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিসকলৰ ভিতৰত মিচিমিসকলৰ লগতেই চুতীয়াসকলৰ সম্পৰ্ক অতি ঘনিষ্ঠ আছিল। চুতীয়াসকলৰ দৰে মিচিমিসকলেও নিজকে

---

১ **Gazeatter of India**, Arunachal Pradesh, Lohit District, Govt of Arunachal Pradesh, 1978, p. 41; কোযেশ্বৰ বৰুৱা, **লইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, গুৱাহাটী, ২০০০, পৃঃ১৩০)।

ভীষ্মক ৰজাৰ বংশধৰ বুলি গৌৰৱ কৰে আৰু ৰুক্মিণীক তেওঁলোকৰ জীয়াৰী বুলি ভাৱে।[১] মিচিমিসকলৰ তিনিটা গোষ্ঠীৰ ইদু বা চুলিকটা মিচিমিসকলৰ মিঠুন আৰু বেবেজীয়া নামৰ এটা ডাঙৰ খেল আছে।[২] তেওঁলোকে মাজ মূৰৰ চুলি ৰাখি চাৰিওফালৰ চুলি কাটি পেলায় আৰু এই কথা ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰৰ কাহিনীৰ লগত জড়িত কৰে।[৩]

খাচী আৰু জয়ন্তীয়াসকলৰ লগত চুতীয়াসকলৰ সম্পৰ্কৰ কথা তেওঁলোকৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছে।[৪] এই বিষয়ে এইখন গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত আলোচনা কৰা হৈছে। খাচী দৰবাৰত চুতীয়া নামৰ এটা পদবী এতিয়াও আছে।[৫] সেই পদবীটোৱে অৱশ্যে কোনো জনগোষ্ঠীক প্ৰতিনিধিত্ব নকৰে কিন্তু চুতীয়াসকলৰ লগত সুদূৰ অতীততে থকা (আনুমানিক ষষ্ঠ শতিকামানৰ পৰা) তেওঁলোকৰ সামাজিক আৰু ৰাজনৈতিক সম্পৰ্কৰ প্ৰমাণ ডাঙি ধৰে। জয়ন্তীয়াসকলেও চুতীয়াসকলৰ দৰে গোঁসানী পূজা কৰিছিল আৰু এই পূজাত নৰবলি আগবঢ়াইছিল।

বুৰঞ্জীত টাইকাপী চুতীয়া, লুকটেং চুতীয়া আৰু আবৰ চুতীয়া আদিৰ উল্লেখ পোৱা যায়। এই নামকেইটাই চুতীয়াসকলৰ সামাজিক ভাগকে বুজাইছিল। কিন্তু সময়ত এইকেইটা ভাগো বিলুপ্ত হ'ল।

বৃত্তিগত ভাবেও চুতীয়াসকলৰ চাওদাং চুতীয়া, বিহিয়া চুতীয়া, বেবেজীয়া চুতীয়া, কাঁড়ী চুতীয়া, বহতীয়া চুতীয়া, সোণোৱাল চুতীয়া আদি বিভিন্ন সামাজিক বিভাজনৰ সৃষ্টি হৈছিল। চাওদাং চুতীয়াসকলে আহোম প্ৰশাসনত বৰ্তমানৰ আৰক্ষীসকলৰ কাৰ্য সম্পাদন কৰিছিল। বিহীয়া চুতীয়াসকলে ধেনুৰ তীৰত লগাবলৈ বিহ প্ৰস্তুত কৰিছিল। বেবেজীয়া চুতীয়াসকলে বেট কাটি জীৱন নিৰ্বাহ কৰিছিল। বেবেজীয়া শব্দৰ আভিধানিক অৰ্থ সানমিহলি। সম্ভৱতঃ চুতীয়াসকলৰ বাদেও তেওঁলোকৰ লগত অন্য সম্প্ৰদায়ৰ লোকো আছিল। বৰ্তমান লক্ষীমপুৰ জিলাত সোৱণশিৰি বেবেজীয়া আৰু কেঁকুৰী বেবেজীয়া নামৰ দুটা অঞ্চল আছে। এই দুয়োটা অঞ্চলৰ সকলো মানুহেই চুতীয়া।[৬]

কাঁড়ী চুতীয়াসকলে ধেনু কাঁড় লৈ পদাতিক সৈন্য হিচাবে যুদ্ধত অংশগ্ৰহণ কৰিছিল। বহতিয়াসকলক আহোম ডা-ডাঙৰীয়াসকলৰ খাটৰ মাটিত বহিবলৈ দিয়া হৈছিল আৰু তাৰ পৰিৱৰ্তে তেওঁলোকে ডা-ডাঙৰীয়াসকলক কাম কৰি দিব লাগিছিল। ডফলাসকলে প্ৰায়ে তেওঁলোকৰ পাহাৰৰ নামনি অঞ্চলত বাস কৰা আহোম ৰাজ্যৰ

[২] সূৰ্য্যকান্ত খনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু সংস্কৃতি**, পৃঃ ১৫৬)।
[৩] **Gazeatter of India**, Arunachal Pradesh, Lohit District, Govt of Arunachal Pradesh, 1978, p. 41.
[৪] Hamlet Bareh, **History and Culture of the Khasi People**, p. 57.
[৫] *ibid.*, p. 51.
[৬] সূৰ্য্যকান্ত খনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু লোক সংস্কৃতি**, পৃঃ ১৫৭।



প্ৰজাসকলৰ ওপৰত উপদ্ৰৱ চলাইছিল আৰু বহুতকে ধৰি নি বহতীয়া বা দাস হিচাবে ৰাখিছিল।[৭] সেইসকলৰ লোকৰ অধিকাংশই চুতীয়া আছিল। স্বৰ্গদেৱ প্ৰতাপসিংহই (১৬০৩-১৬৪১ খ্ৰীঃ) 'পচা প্ৰথা' প্ৰৱৰ্তন কৰি এইসকল লোকক মুকলি কৰি আনিছিল যদিও এই প্ৰথা অনুসৰি তেওঁলোকে ডফলা (নিচি)সকলক নিয়মিত ভাৱে কৰ-কাটল দি থাকিব লাগিছিল।[৮]

সোণোৱালসকল সোণ উৎপাদনৰ কামত নিয়োজিত হৈছিল। চুতীয়া ৰাজ্যৰ অন্তৰ্গত সোৱণশিৰি, দিক্ৰং, দিহিং, দিবং আদি নদীৰ বালিত সোণ পোৱা গৈছিল। এই নদীসমূহৰ বালিৰ পৰা বিভিন্ন প্ৰকাৰে সোণ সংগ্ৰহ কৰা খেলটোক সোণোৱাল বোলা হৈছিল। সোণোৱালসকলে এই বৃত্তিটো আহোমসকলৰ অধীনতো কৰিছিল। তেওঁলোক জাতিগতভাৱে চুতীয়া আছিল।[৯] কছাৰীসকলৰ মাজতো সোণোৱাল নামৰ এটা খেল আছে।[১০] দ্ৰষ্টব্য যে, কছাৰী আৰু চুতীয়াসকল মূলতঃ একে গোষ্ঠীৰ লোক।

পৰিৱৰ্তন আৰু পৰিস্থিতিৰ তাগিদাত চুতীয়াসকলৰ মাজত যিবোৰ সামাজিক ভাগ আৰু খেলৰ সৃষ্টি হৈছিল, সেই ভাগ বা খেলবোৰৰ হয় আগত নহয় পিছত জাতিগত পৰিচয় হিচাবে চুতীয়া শব্দটো বহিছিল। পৰৱৰ্তী সময়ত বহুতৰে জাতিগত পৰিচয় চুতীয়া শব্দটো লোপ পালে আৰু বহুতে কেৱল চুতীয়া পৰিচয়েৰে চুতীয়া হৈ পৰিল। বৰ্তমান চুতীয়াসকলৰ মাজত কোনো সামাজিক ভাগ বা খেল পোৱা নাযায়।

[৭] সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৫৩৬।
[৮] ঐ।
[৯] সূৰ্য্যকান্ত খনিকৰ, পূৰ্বোক্তগ্ৰন্থ, পৃঃ ১৫৭।
[১০] লীলা গগৈ, **টাই সংস্কৃতিৰ ৰূপৰেখা**, ডিব্ৰুগড়, ১৯৯৪, পৃঃ পৰিশিষ্ট, ৯।

# বৰাক উপত্যকাৰ চুতীয়াসকল ঃ অতীত আৰু বৰ্তমান

আহোমসকলৰ আগতে উজনি অসমৰ এটা বৃহৎ অংশ চুতীয়াসকলে শাসন কৰিছিল। ১৫২৪ খ্ৰীঃত আহোম স্বৰ্গদেৱ চুহুংমুং দিহিঙ্গীয়া ৰজাই চুতীয়া ৰাজ্যখন জয় কৰি আহোম ৰাজ্যৰ অন্তৰ্গত কৰে আৰু চুতীয়াসকলক ৰাজ্যৰ বিভিন্ন ঠাইত সংস্থাপন কৰে যাতে ৰাজ্য পুনৰ উদ্ধাৰৰ অৰ্থে তেওঁলোকে একে মুঠ হৈ বিদ্ৰোহ কৰিব নোৱাৰে। তেতিয়াৰ পৰাই চুতীয়া ৰাজ্যৰ প্ৰজাবৰ্গ চেদেলি ভেদেলি হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰে। ইয়াৰ পিছতো ১৮ শতিকাৰ মোৱামৰীয়া বিদ্ৰোহ আৰু তাৰ পৰৱৰ্তী কালত মানৰ আক্ৰমণৰ ফলত তেওঁলোকে নিজৰ সুৰক্ষাৰ খাতিৰত সুৰমা উপত্যকা আৰু অসমৰ চুবুৰীয়া পাহাৰীয়া অঞ্চলসমূহ আৰু বঙ্গদেশলৈ পলাই গৈ আশ্ৰয় লয়। ফলত বৰ্তমান অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ উপৰিও বাংলাদেশৰ সীমান্ত অঞ্চলতো চুতীয়া লোক বসবাস কৰি থকা দেখা যায়। এই ৰচনাত সেয়ে কাছাৰত থকা চুতীয়া লোকসকলৰ এটি ঐতিহাসিক খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। বৰাক উপত্যকাত অন্তৰ্ভুক্ত হোৱা চুতীয়া বসতিপ্ৰধান গাঁওবোৰ হ'ল - ভিতৰগোল, তাৰাপুৰ, কৈয়াজানি, ছলিগ্ৰাম, কোনাপাৰা গ্ৰান্ট (আটাইকেইখন কাছাৰ জিলাত), বৰগোল, আদৰকোনা, বৰথল, উত্তৰ বৰগোল, দক্ষিণ বৰগোল, আলেখাৰগোল, ঘিলাইজান (আটাইকেইখন কৰিমগঞ্জ জিলাত) আৰু দাৰাপুৰ (হাইলাকান্দি জিলাত)। বৰাক উপত্যকাৰ এইকেইখন গাঁৱৰ উপৰিও বাংলাদেশৰ সুৰমা উপত্যকাৰ ঘুনিৰাম, বৰিগাঁও, লাকৰপাৰ, জাপলং, বাউৰভাগ, চৈলাচল, বগাইতুৰুং, বিজয়পৰোৱা, জীৱনপুৰ, কলাইআগ, ইছামতি, বৰহম, হিজপুৰ আদি গাঁৱতো কিছু সংখ্যক চুতীয়া জনগোষ্ঠীৰ মানুহ আছে বুলি জনা যায়। ভাৰত বিভাজনৰ আগতে সেই গাঁওবোৰৰ সৈতে বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অনেক চুতীয়া ল'ৰা আৰু জীয়ৰীৰ বিয়া-বাৰু চলিছিল।[১] এনেকি কাছাৰ জিলাৰ একমাত্ৰ কোচগাঁও (ৰাজবংশী নহয়) গড়ৰ ভিতৰতো পূববঙ্গৰ অসমীয়া জীয়ৰী বিয়া হৈ বোৱাৰী হিচাপে আহিছে।

বৰাক উপত্যকাত চুতীয়াসকলৰ বসতি গঢ় লৈ উঠিছিল মূলতঃ দুটা কাৰণত। তাৰে প্ৰথম কাৰণটো আছিল মায়ামৰা বা মোৱামৰীয়া বিদ্ৰোহ আৰু আনটো আছিল

[১] বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত ২০০৫ খ্ৰীঃত ক্ষেত্ৰ ভিত্তিক অধ্যয়ন চলাওঁতে এই লেখকে কেইবাগৰাকী বৃদ্ধ আৰু বৃদ্ধাক লগ পাইছিল, যিসকলৰ জন্ম হৈছিল তেতিয়াৰ পূববঙ্গৰ চুতীয়া গাঁৱত।



মানৰ আক্ৰমণ। কাছাৰৰ ৰজা কৃষ্ণচন্দ্ৰৰ ৰাজত্বকালত, সম্ভৱতঃ ১৭৮০ খ্ৰীঃত[২] উজনি অসমৰ লক্ষীমপুৰ জিলাৰ মোৱামৰীয়া (মায়ামৰা) সত্ৰৰ কিছুমান প্ৰজাই আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি কছাৰী ৰাজ্যত আশ্ৰয় লৈছিল। এইসকলৰ মাজত চুতীয়া সম্প্ৰদায়ৰ লোকেই আছিল সৰহ। সেই সময়ত আহোম ৰজা আছিল গৌৰীনাথ সিংহ। বিদ্ৰোহৰ ফলত ৰজা পৰাভূত হয় যদিও সেই সময়ত বঙ্গৰ নামকটা চিপাহী আৰু লুণ্ঠনকাৰী এদল বিদ্ৰোহীৰ সৈতে মোৱামৰীয়া বিদ্ৰোহীৰ অংশ এটা মিলিত হয়। সম্ভৱতঃ সেই নামকটা বংগীয় চিপাহীসকলৰ সহযোগতেই তেতিয়াৰ অবিভক্ত ভাৰতবৰ্ষৰ পূববংগৰ কেইবাখনো গাঁৱত লক্ষীমপুৰ জিলাৰ চুতীয়াসকলৰ বসতি গঢ় লৈ উঠিছিল।

মানৰ আক্ৰমণৰ সময়তো উজনি অসমৰপৰা ব্যাপক সংখ্যক চুতীয়া মানুহ ভগনীয়াৰূপে অবিভক্ত সুৰমা উপত্যকাত আশ্ৰয় লৈছিল। এওঁলোকক মান-ভগনীয়া বুলি জনা যায়। গুণাভিৰাম বৰুৱাই মানৰ আক্ৰমণ সম্পৰ্কে **অসম বুৰঞ্জী**ত লিখিছে,- "মানৰ উপদ্ৰবত ইদেশ প্ৰায় জনশূন্য হ'ল। লোকবিলাকৰ এনে হ'ল যে কেতিয়া ঈশ্বৰে এই অত্যাচাৰৰপৰা উদ্ধাৰ কৰে। অসম দেশৰ এনে দুৰৱস্থা দেখি চিংফৌ, খামতি প্ৰভৃতি পৰ্বতীয়া লোকেও হিংসা, অসূয়া কৰিব ধৰিলে। এই উপদ্ৰবত থাকিব নোৱাৰি অনেক লোক দেশ এৰি কোনো ভটিয়াই কোনো মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰাৰ ফালে আশ্ৰয় পাবলৈ পলাই গ'ল।"[৩]

গুণাভিৰাম বৰুৱাই উল্লেখ কৰা মান-ভগনীয়া চিংফৌ, খামতি আদি জনগোষ্ঠীৰ উপৰিও চুতীয়া আৰু একাংশ কোচ আৰু মৰাণ লোকে ত্ৰিপুৰা, জয়ন্তীয়া, মণিপুৰ আদিলৈ পলাই যাওঁতে বৰাক উপত্যকাৰ পাহাৰ আৰু টিলাৰ নামনিত কেইবাখনো গাঁও গঢ়ি তুলিছিল। হিতেশ্বৰ বৰবৰুৱাই **আহোমৰ দিন** নামৰ গ্ৰন্থখনত এই আক্ৰমণৰ বিষয়ে উল্লেখ কৰিছে - "ব্ৰহ্মপুত্ৰে যিজাক মান-সেনা ভটিয়াই গৈছিল, সেই জাকে মাজুলিত নৈৰ পাৰতে মানুহ পাই বৰ অত্যাচাৰ কৰিলে। উত্তৰ পাৰৰ জাকে সেইফালে ভিতৰে ভিতৰে গাঁও-ভূঁই লুটি দৰঙ্গ ওলালগৈ; কিন্তু দৰঙ্গৰ ৰজা কৃষ্ণনাৰায়ণে ভাৰ-ভেঁটি দি মানৰ অধীনতা স্বীকাৰ কৰি অলপ ৰক্ষা পালে। দক্ষিণে যোৱা জাকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ উচন কৰি গ'ল। মান অহা শুনি গাঁৱৰ ল'ৰা-তিৰোতাসকলো পলাইছেই, সেই এৰি যোৱা ঘৰবিলাকৰ ভিতৰতো য'তে যি পালে, চপাই-কোঁচাই লৈ, তিনিও দল মান-সেনা লাহে লাহে চন্দ্ৰকান্ত সিংহ থকা ঠাই গুৱাহাটীৰ কাষ চাপিলগৈ।[৪]

ইয়াত উল্লেখ কৰা দক্ষিণপাৰৰ মান-ভগনীয়াসকল চুতীয়াৰ উপৰিও মৰাণ জনগোষ্ঠীৰো হ'ব পাৰে বুলি ভবাৰ থল আছে। বৰাক উপত্যকাত মৰাণ জনগোষ্ঠীৰ

[২] মতান্তৰত ১৭৮৫ খ্ৰীঃত।

[৩] গুণাভিৰাম বৰুৱা, **আসাম বুৰঞ্জী**, অসম প্ৰকাশন পৰিষদ, ১৯৭২, পৃষ্ঠা ঃ ১৪৮।

[৪] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, অসম প্ৰকাশন পৰিষদ, ১৯৯৭, পৃঠা ঃ ৩১৮।

কিছুমান লোকে মানৰ আক্ৰমণৰ পিছতে বসতি গঢ়ি তোলাৰ কথা জনা যায়। লোক-সংস্কৃতিৰ গৱেষক হেম বুঢ়াগোহাঞিয়ে লিখিছে, “কাছাৰ জিলাৰ তাৰাপুৰ নামৰ গাঁৱত মান-ভগনত পলাই গৈ বাস কৰা বহুতো লোক আছে। তাৰে সৰহসংখ্যক লোক মৰাণৰ পৰা সাত মাইলমান উজনিৰ ঔফুলীয়া আৰু দিবৈ চাহ বাগিচাৰ পূবত কাকৰনী বৰবিল নামৰ এখন গাঁও পাতি বসবাস কৰিছেহি। উক্ত গাঁৱৰ লোকসকল বিয়া-বাৰুৰ যোগেদি আঠ কুৰি সমাজে বুকুত সাবতি লৈছে।”[৫] ইয়াত উল্লেখ কৰা কাকৰনী বৰবিলৰ মৰাণসকল সম্ভৱতঃ সাময়িকভাৱে আহি কাছাৰৰ তাৰাপুৰত আশ্ৰয় লৈ পিছলৈ সেই ঠাই ত্যাগ কৰিছিল। আমি এই সম্পৰ্কে অধিক অনুসন্ধানৰ অৱকাশ ৰাখি বৰাক উপত্যকাৰ অসমীয়া গাঁওবোৰৰ চুতীয়া জনগোষ্ঠীৰ অৱস্থিতি সম্পৰ্কে অধিক আলোচনা আগবঢ়াব খুজিছোঁ।

বৰাক উপত্যকাত চুতীয়াসকলৰ বসতিৰ দুটা সময়ৰ কথা আৰু ৰাজনৈতিক ঘটনাৱলীৰ উল্লেখ কৰোঁতে আমি যিকেইখন গাঁৱত চুতীয়াসকলৰ বসতিৰ কথা কৈছোঁ, তেনেবোৰ গাঁও সময়ৰ বিবৰ্তনত বহুখিনি সলনি হৈছে। অনেক চুতীয়া লোকে বৰাক উপত্যকাৰ নিজস্ব ঘৰ-মাটি বিক্ৰী কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ লংকা, সৰুপথাৰ, বৰপথাৰ, গোলাঘাট আদি অঞ্চলত বসতি গঢ়ি তুলিছে। সেইবোৰ ঘৰ-মাটি অনা-অসমীয়া বা অনা-চুতীয়ালোকে ক্ৰয় কৰিছে। আনহাতে বৈবাহিক সূত্ৰেও অনেক অনা-চুতীয়া লোক চুতীয়া গাঁওবোৰত বসতি গঢ়ি তুলিছে। সেয়ে উপত্যকাৰ কেইবাখনো গাঁও অসমীয়া মূলৰ অনা-চুতীয়া আৰু অনা-অসমীয়া মূলৰ মিশ্ৰিত জনগোষ্ঠীৰ বাসভূমি।

বৰাক উপত্যকাৰ দুই-এখন চুতীয়া, কোচ আৰু ৰাজবংশী গাঁৱত জন-বসতি গঢ় লৈ উঠা সম্পৰ্কে ওপৰত উল্লেখ কৰা সময়ত, ঘটনাৱলী আৰু তথ্যপঞ্জীৰ মাজত বিতৰ্কৰ থল আছে। ইয়াৰ অন্যতম কাৰণ এয়ে যে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঐতিহাসিক সকলে অসমৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত বৰাক উপত্যকাৰ অসমীয়াসকলৰ কথা প্ৰায়ে বাদ দিয়াত বা সেই সম্পৰ্কে তথ্যপাতি সন্নিবিষ্ট নকৰাত বৰাক উপত্যকাৰ অসমীয়া গাঁওবোৰ অসমৰ ইতিহাসৰো পৰা প্ৰায় নিলগতে আছে। উপেন্দ্ৰ চন্দ্ৰ গুহ ৰচিত **কাছাড়েৰ ইতিবৃত্ত**[৬] নামৰ বাংলা গ্ৰন্থখন কিছু ব্যতিক্ৰম। একমাত্ৰ এই ইতিহাস গ্ৰন্থখনৰ পাততেই বৰাক উপত্যকাৰ দুই-এখন অসমীয়া গাঁৱৰ কথা উল্লেখ কৰি সেইবোৰত জনবসতি গঢ়ি উঠা সম্পৰ্কে কিঞ্চিত ইঙ্গিত দিয়া হৈছে। ব্ৰহ্মসৈন্য, অৰ্থাৎ মানসকলৰ অসম আগমনৰ কথা উল্লেখ কৰি গ্ৰন্থখনত কোৱা হৈছে যে মানৰ আক্ৰমণত কেৱল প্ৰজাই নহয়, স্বয়ং ৰজায়ো নিজ ৰাজ্য এৰি আন ঠাইত আশ্ৰয় লব লগা হৈছিল। প্ৰায় ত্ৰিশ হাজাৰ অসমবাসী মানসেনাৰ হাতত বন্দী হৈ ব্ৰহ্মদেশলৈ যাব লগা হৈছিল। হাজাৰ-বিজাৰ লোকে কৰুণভাৱে প্ৰাণ বিসৰ্জন দিছিল মানসেনাৰ হাতত। যুদ্ধ, লুণ্ঠন, অৰাজকতা, দুৰ্ভিক্ষ আৰু মহামাৰীৰ

[৫] হেম বুঢ়াগোহাঞি, **উজনিৰ লোক উছৱ**, ১৯৯৩, পৃষ্ঠা ঃ ১২৭।

[৬] গ্ৰন্থখন প্ৰকাশ কৰিছে অসম প্ৰকাশন পৰিষদে, প্ৰথম প্ৰকাশ, ১৯৭১ চন।



ফলত তেতিয়াৰ অসম ৰাজ্যখন দুৰ্দশাৰ শেষ সীমাত উপনীত হৈছিলগৈ। বহু লোকে ঘৰ-দুৱাৰ এৰি হাবি-জংঘলত আশ্ৰয় গ্ৰহণ কৰি গছৰ পাত আৰু ফলমূল খাই জীৱন ধাৰণ কৰিছিল। কিছুমানে তেতিয়াৰ ব্ৰিটিছ-অধিকৃত ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰি মানৰ আক্ৰমণৰ পৰা ৰক্ষা পাইছিল। ঠিক সেই সময়তে, অৰ্থাৎ ১৮১৯ চনৰ পৰা ১৮২১ চনৰ ভিতৰত নগাঁও আৰু উত্তৰ কাছাৰৰ পৰ্বত-পাহাৰ অতিক্ৰম কৰি কেইবাহাজাৰো অসমবাসীয়ে কাছাৰৰ গড়ৰভিতৰ, তাৰাপুৰ, গুমড়া আদি ঠাইত উপনিবেশ স্থাপন কৰিছিল।[৭]

উপেন্দ্ৰ চন্দ্ৰ গুহই তেওঁৰ **কাছাড়েৰ ইতিবৃত্ত** গ্ৰন্থত যি তিনিখন অসমীয়া গাঁৱৰ নাম উল্লেখ কৰিছে, সেইবোৰত চুতীয়া আৰু কোচ - এই দুয়োটা সম্প্ৰদায়ৰে অসমীয়া মানুহ আছে। তাৰে তাৰাপুৰ গাঁওখন শিলচৰ[৮] নগৰৰ নিচেই কাষত অৱস্থিত। ইয়াৰে বেছিভাগ লোকেই মান-ভগনীয়া। চুতীয়া সম্প্ৰদায়ৰ অনেক লোক এতিয়াও গাঁওখনত আছে। তেওঁলোকৰ সৰহভাগ মান-ভগনীয়া হেতুকে তাৰাপুৰলৈ আগমনৰ সময় হয়তো উনৈছ শতিকাৰ প্ৰথম ভাগেই হ'ব। আনহাতে গড়ৰ ভিতৰ নামৰ গাঁওখনক উপেন্দ্ৰ চন্দ্ৰ গুহই[৯] মান-ভগনীয়া বুলি কৈছে যদিও এই গাঁওখনত চুতীয়া সম্প্ৰদায়ৰ লোক নাই। গাঁওখন মূলতঃ অসমীয়া কোচসকলৰ গাঁও।

উপেন্দ্ৰ চন্দ্ৰ গুহই উল্লেখ কৰা গুমড়া গাঁওখন চুতীয়া বসতিপূৰ্ণ গাঁও নহয়। ইয়াৰ ওচৰৰ কৈয়াজানি, কোনাপাৰা গ্ৰান্ট, ছলিগ্ৰাম, ভিতৰগোল আদিহে চুতীয়া গাঁও। গুমড়া আৰু বদৰপুৰৰ ওচৰৰ চুতীয়া সম্প্ৰদায়ৰ গাঁওবোৰৰ অন্যতম হ'ল - কোনাপাৰা, ছলিগ্ৰাম, বৰগোল, ঘিলাইজান, বৰথল, আলেখাৰগোল, আদৰকোনা, দ্বাৰকাপুৰ, ভিতৰগোল, উত্তৰ বৰগোল, দক্ষিণ বৰগোল, তাৰাপুৰ আদি। এই গাঁওবোৰত বসবাস কৰা মান-ভগনীয়াসকল তেতিয়াৰ তামুলী, দাধৰা, মইনাবন্ধীয়া, জাপিসজীয়া আদি ফৈদৰ বুলি জনা যায়। এওঁলোকে চুতীয়া, তামুলী, হাজৰিকা আদি উপাধি লিখে। কিছুমানে বৰুৱা, বৰা, শইকীয়া আদি উপাধিও লিখিবলৈ লৈছে। বহুতৰে নামৰ পিছত মান-ভগনীয়া

[৭] উপেন্দ্ৰ চন্দ্ৰ গুহ, **কাছাড়েৰ ইতিবৃত্ত**, অসম প্ৰকাশন পৰিষদ, ১৯৭১, পৃষ্ঠা ঃ ১৫১ (ত্ৰয়োদশ অধ্যায়)।

[৮] শিলচৰ নহয় ‘চিলচৰ’হে । কাৰণ চিলচৰ নামটোৰ উৎপত্তিৰ সৈতে মহাবীৰ চিলাৰায়ৰ নাম (চিল + চৰ = চিলচৰ) জড়িত হৈ আছে। ১৯৫৬ চনলৈকে চিলচৰ ৰেল ষ্টেচনৰ ফলকত ‘চিলচৰ’ বুলি লিখা হৈছিল; ১৯৫৭ চনৰ পৰাহে ‘শিলচৰ’ লিখা হয়। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা এই তথ্য পোৱা গৈছে।

[৯] **কাছাড়েৰ ইতিবৃত্ত**, পৃষ্ঠা নং ১৩৩, ১৫১ আৰু ১৬১ ত গড়ৰভিতৰ নামৰ গাঁওখনৰ কথা উল্লেখ আছে। মহাৰাজ গোবিন্দনাৰায়ণে ৰাজ্য প্ৰতিস্থা কৰাৰ পিছতে ৰাজ্যখন যি সাতটা খণ্ডত বিভক্ত কৰিছিল, তাৰে এটা খণ্ড আছিল গড়ৰভিতৰ বাৰ গড়েৰ ভিতৰ। আন ছটা খণ্ড আছিল ক্ৰমে বিক্ৰমপুৰ, দুধপাতিল, জয়পুৰ, কালাইন, সোনাই আৰু হাইলাকান্দি। গড়ৰভিতৰ নামৰ গাঁওখনৰ ঐতিহ্যৰ সৈতে জনজাতীয় মূলৰ অসমীয়া বীৰ তুলাৰাম সেনাপতিৰ নাম জড়িত হৈ আছে।

বুলি দিয়াও দেখা যায়।[১০] কিছুমানে হেনো নামৰ পিছত 'অহম' বুলিও লিখিছিল।

ওপৰত উল্লেখ কৰা মানৰ আক্ৰমণ আৰু মোৱামৰীয়া বিদ্ৰোহৰ সময়ত চুতীয়াসকলে উজনি অসমৰপৰা গৈ অবিভক্ত ভাৰতৰ সুৰমা উপত্যকা বা বৰ্তমান বৰাক উপত্যকাত থিতাপি লোৱাৰ বহু আগতেই পূব বঙ্গ আৰু কাছাৰত চুতীয়াসকলে বসতি গঢ়ি তোলাৰ কথা জনা যায়। প্ৰত্নতত্ত্ববিদ ৰাজ মোহন নাথে তেওঁৰ **Background of Assamese Culture** নামৰ গ্ৰন্থখনত লিখিছে যে কামৰূপ (প্ৰাচীন অসম) ৰাজ্যৰ বৰ্মণ বংশী ৰজাসকলে খাচী-জয়ন্তীয়া ৰাজ্যৰ লগত কূটনৈতিক সম্পৰ্ক বজাই ৰাখিবলৈ সিন্ধুৰাই নামৰ এজন ৰাষ্ট্ৰদূতক মনোনীত কৰিছিল। সিন্ধুৰায়ে খাচী-জয়ন্তীয়া ৰাজ্যৰ নাৰী শাসক কা-উৰ্মিক বিয়া কৰাইছিল। তেওঁৰ কন্যা আছিল কা-উৰ্বৰা। কা-উৰ্বৰাই সিন্ধুৰাইৰ উত্তৰাধিকাৰী কৃচকক বিয়া কৰাইছিল। কৃচক চুতীয়া জাতিৰ লোক আছিল। তেওঁলোকৰ গুহক নামেৰে এটি পুত্ৰ সন্তান জন্ম হৈছিল। তেওঁকে জয়ন্তীয়াৰ পাতৰ চুতীয়া বংশৰ প্ৰথম ৰজা বুলি কোৱা হয়। নাথ ডাঙৰীয়াই কৃচকৰ সময়টো ৫৮৪ খ্ৰীঃ বুলি থিৰাং কৰিছে। গুহকৰ তিনিজন পুত্ৰ আৰু দুগৰাকী জীয়াৰী আছিল। বৰজীয়াৰী চেলা আছিল অবিবাহিত। তেওঁৰ নামৰ পৰাই চেলাহাট আৰু পিছলৈ চিলেট নামৰ উৎপত্তি হ'ল বুলি জনা যায়।[১১]

গুহকে তেওঁৰ ৰাজ্যখন তিনিজন পুতেকৰ মাজত ভাগ কৰি দিয়াত জ্যেষ্ঠ পুত্ৰ জয়ন্তৰ ভাগত পৰিছিল পাহাৰীয়া অঞ্চলটো। দ্বিতীয় পুত্ৰ গুৰকে লাভ কৰিছিল বন্দৰসহ দক্ষিণৰ সমভূমি অঞ্চল। আনহাতে তৃতীয় পুত্ৰ লাৰকে লাভ কৰিছিল দক্ষিণ-পশ্চিম অঞ্চলটো। পূৰ্বৰ বঙ্গ আৰু বৰ্তমান বাংলাদেশৰ দক্ষিণ অঞ্চলত অৱস্থিত চিটাগং নামৰ ঠাইখনৰ সৈতে চুতীয়া নামটোৰ সম্পৰ্ক আছে বুলি জনা যায়। অনেক গৱেষক আৰু বিশ্লেষকৰ মতে চুতীয়া নামটোৰ অপভ্ৰংশ হৈ চিটাগং নামটোৰ উৎপত্তি হৈছে।[১২] ভাৰত বিভাজনৰ আগলৈকে পূববংগ আৰু খাছিয়া-জয়ন্তীয়া পাহাৰৰ নামনি অঞ্চলত চুতীয়া, হাজৰিকা, বৰুৱা আদি উপাধিৰ লোকে বসবাস কৰালৈ চাই ক'ব পাৰি যে মেঘালয়ৰ দক্ষিণ আৰু দক্ষিণ-পশ্চিম অঞ্চলৰ ব্যাপক অংশ জুৰি চুতীয়াসকলে গাঁও পাতি বসবাস কৰিছিল। বৰ্তমানৰ বাংলাদেশৰ সুৰমা উপত্যকাৰ বগাইতুৰুং, বিজয়পৰোৱা, ঘুনিৰবান, বৰিগাঁও, লাকৰপাৰ, জাপলুং, বাউৰভাগ, চৈলাচল, জীৱনপুৰ, কলাইআগ, ইছামতি, বৰহম, হিজপুৰ আদি অসমীয়া গাঁও সম্ভৱতঃ জয়ন্তীয়া-চুতীয়া ৰজাৰ দিনতে গঢ় লৈ

১০ কাছাৰ জিলা ক্ষত্ৰিয় ৰাজবংশী সন্মিলনীৰ প্ৰতিবেদন বহীত পোৱা তথ্যমতে তাৰাপুৰৰ প্ৰমোদ চন্দ্ৰ হাজৰিকাই হাতে লিখা গোহাৰিত নিজৰ নামৰ পিছত 'মান-ভগনীয়া' বুলি লিখিছিল। তেওঁ চহী কৰা তাৰিখটো আছিল ৮/১/৪৬ চন।

১১ R.M. Nath, **Background of Assamese Culture**, p. 98-99.

১২ *ibid.*



উঠিছিল। এই সম্পৰ্ক থকাৰ বাবে অনেক মান ভগনীয়া চুতীয়া লোকে উজনি অসমৰ পৰা গৈ সুৰমা উপত্যকাত থিতাপি লৈছিল আৰু জয়ন্তীয়া-চুতীয়া সকলৰো সংস্পৰ্শলৈ আহিছিল। সুৰমা উপত্যকা আৰু জয়ন্তীয়া ৰাজ্যৰ চুতীয়াসকলৰ সৈতে উজনি অসমৰ চুতীয়াসকলৰ বিয়া-বাৰু আৰু সামাজিক সম্পৰ্কও আছিল। আনকি ভাৰত বিভাজনৰ পিছতো সুৰমা উপত্যকাৰ চুতীয়াসকলৰ সৈতে বৰাক উপত্যকা আৰু জয়ন্তীয়া ৰাজ্যৰ চুতীয়াসকলৰ সম্পৰ্ক আছিল। বাংলাদেশৰ জন্মৰ পিছত এই সম্পৰ্ক কমি অহাৰ ফলত সুৰমা উপত্যকাৰ অনেক চুতীয়া লোক ঢাকাৰ পিনে গুচি যোৱা বুলি জনা যায়। বাংলাদেশ, ত্ৰিপুৰা, পশ্চিমবংগ আদিত বৰুৱা উপাধিৰ অনেক লোক থকালৈ চাই অনুমান কৰিব পাৰি যে তেওঁলোক সুৰমা উপত্যকাৰ বৰুৱা উপাধিধাৰী চুতীয়াসকলৰেই বংশধৰ। মেঘালয়ৰ সোণাপুৰ আৰু ডাউকীৰ ওচৰতো দুখন চুতীয়া গাঁও থকা বুলি জনা যায়। বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰ ঘূৰি পকি আৰু বাংলাদেশৰ সুৰমা উপত্যকাৰ চুতীয়াসকলৰ সম্ভেদ লৈ জনা গৈছে যে তেওঁলোকৰ শাৰিৰীক অৱয়ব আৰু আচৰণ বহুখিনি জনজাতি মূলীয়। আনকি অনেক ঘৰুৱা পৰম্পৰাতো জনজাতীয় প্ৰভাৱ আছে। শিক্ষা-দীক্ষাত অতিকৈ পিছপৰা বৰাক উপত্যকাৰ চুতীয়াসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুতীয়াসকলতকৈ অৰ্থনৈতিক, শৈক্ষিক আদি দিশত অনগ্ৰসৰ। অৱশ্যে সাংস্কৃতিকভাৱে বৰাক উপত্যকাৰ চুতীয়াসকলৰ অৱস্থিতি সন্তোষজনক। তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুতীয়াসকলৰ দৰেই ধৰ্মীয় আৰু সামাজিক-পাৰিবাৰিক আচাৰ-পৰম্পৰা মানি চলে। হিন্দুধৰ্মীয় এই চুতীয়াসকল মূলতঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ নামধৰ্মত দীক্ষিত। এওঁলোকে উনৈশ শতিকাৰ প্ৰথম ভাগতে মানৰ আক্ৰমণ সহিব নোৱাৰি বৰাক উপত্যকালৈ গৈ বসতি আৰম্ভ কৰাৰ লগে-লগে অস্থায়ী নামঘৰ গঢ়ি তুলিছিল। পিছৰ পিনে, অৰ্থাৎ উনৈশ শতিকাৰ শেষৰ পিনে কেইবাখনো চুতীয়া গাঁৱত স্থায়ী নামঘৰ গঢ়ি উঠিছিল বুলি ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ পৰা জানিব পৰা গৈছে। কৰিমগঞ্জ জিলাৰ বৰগোল নামৰ চুতীয়া গাঁওখনৰ নামঘৰটো ১৮৯০ খ্ৰীঃত স্থায়ীভাৱে নিৰ্মিত। নামমঘৰটোক "সাৰ্বজনীন শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰ" বুলি নামকৰণ কৰা হৈছে।[১৩] প্ৰায় একে সময়তে কাছাৰ জিলাৰ শিলচৰৰ ওচৰৰ তাৰাপুৰ নামৰ চুতীয়া গাঁও আৰু গড়ৰভিতৰ নামৰ কোচ গাঁওখনত নামঘৰ নিৰ্মাণ কৰা হৈছিল। কুৰি শতিকাৰ প্ৰথম ভাগৰপৰা প্ৰায় প্ৰতিখন চুতীয়া গাঁৱতে নামঘৰ গঢ় লৈ উঠিছে। পিছৰ পিনে শংকৰদেৱ সংঘৰ তৎপৰতাত কেইবাখনো চুতীয়া গাঁৱত নামঘৰ গঢ় লৈ উঠে। দুই-এখন চুতীয়া গাঁৱত কুৰি শতিকাৰ নব্বৈৰ দশকত কৃষ্ণগুৰু সেৱাশ্ৰমৰ উদ্যোগতো নামঘৰ প্ৰতিষ্ঠা কৰা হয়।

১৩ 'বৰগোল সাৰ্বজনীন শ্ৰী শ্ৰী শংকৰদেৱ মন্দিৰৰ বিশেষ মাহাত্ম্যম্', মণিলাল হাজৰিকা, উপদেষ্টা, মন্দিৰ কমিটি, বৰগোল, ১৯৯৪।

প্ৰতিখন অসমীয়া গাঁৱত প্ৰাথমিক বিদ্যালয় আছে যদিও মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় নথকাত বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰ শিক্ষাৰ ক্ষেত্ৰত অভাৱনীয়ভাৱে পিছপৰি আছে। ২০০৫ চনলৈকে তিনিখন জিলাৰ তেৰখন চুতীয়া গাঁৱৰ মাজত মাত্ৰ এখন মাধ্যমিক আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় আছিল। এই বিদ্যালয়বোৰৰ সৰহভাগ শিক্ষকেই অনা-অসমীয়াভাষী। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সমাপ্ত কৰাৰ পিছত বেছিভাগ চুতীয়া গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে বাংলা মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত পঢ়ে বাবে তেওঁলোকৰ শৈক্ষিক উৎকৰ্ষ হোৱা নাই। ফলত বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত শিক্ষাৰ হাৰ নিম্নমানৰ।

বৰাক উপত্যকাৰ চুতীয়া গাওঁবোৰত নামঘৰ কেন্দ্ৰীক নাম-কীৰ্ত্তন, বৰগীত আদিৰ চৰ্চা বহুযুগৰ পৰাই চলি আহিছে। আদৰকোনা, ঘিলাইজান, বৰগোল, আলেখাৰগোল, তাৰাপুৰ, কৈয়াজানি, বৰথল আদি চুতীয়া গাঁৱত নিজস্ব বিহু দল আছে। ১৯৩০ চনতেই এই গাঁওবোৰত বিহু দলে হুঁচৰি গোৱা আৰু বিহুনাচ পৰিবেশন কৰাৰ প্ৰমাণ আছে।[১৪] সেয়ে বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত বিহুৰ পৰম্পৰা তেওঁলোকৰ থিতাপি লোৱা কালৰ পৰা চলি আহিছে বুলি ভৱাৰ থল আছে।

বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত চৰকাৰী-বেচৰকাৰী চাকৰিয়ালৰ সংখ্যা তেনেই কম। বেছিভাগ চাকৰিয়ালেই সেনা বাহিনীত কাম কৰে অথবা কাম কৰি অৱসৰ গ্ৰহণ কৰিছে। এইসকলৰ মাজৰ ঘিলাইজান গাঁৱৰ শ্যামাকান্ত হাজৰিকা (১৯৬৩-১৯৯৯ খ্ৰীঃ) ১৫-অসম ৰেজিমেন্টৰ হৈ ভাৰত-পাকিস্তান সীমা বিবাদৰ সময়ত শত্ৰু সৈন্যৰ বিৰুদ্ধে যুঁজ দি শ্ৰীনগৰৰ খাগ্ৰাবাগত ১৯৯৯ খ্ৰীঃৰ ১৯ ফেব্ৰুৱাৰীত ছহিদ হয়। কৰ্মস্থলীত তেওঁৰ ব্যক্তিগত নম্বৰ আছিল ৪৩৫৭৬১২ - এম. এছ. ই. পি.।[১৫]

ভাৰতৰ স্বাধীনতা আন্দোলনতো বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰৰ কেইবাগৰাকী মুক্তি যুঁজাৰুৱে বিশেষ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ মাজত অন্যতম আছিল বৰগোলৰ চান্দৰাম হাজৰিকা (১৮৯৪-২০০৪ খ্ৰীঃ)। তেওঁ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি চিলেট জেলত কাৰাবাস খাটিছিল। চান্দৰাম হাজৰিকাই ১৯৭৭ খ্ৰীঃত স্থাপিত বৰগোল হাইস্কুলৰ ভূমিও দান কৰিছিল। তেওঁ কেৱল বৰাক উপত্যকাৰ চুতীয়া সমাজৰে নহয়; মণিপুৰী, ডিমাচা আৰু বাঙালী সমাজৰো এগৰাকী মুখিয়াল ব্যক্তি আছিল। হাজৰিকাই অসহযোগ আন্দোলন, বিয়াল্লিশৰ গণ-বিপ্লৱ আদিত

[১৪] শ্ৰীৰাম চন্দ্ৰ দাস, **সুৰমা উপত্যকাৰ অসমীয়া**, অসম সাহিত্য সভা পত্ৰিকা, চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যা। শ্ৰীদাসে অসম সাহিত্য সভাৰ হৈ চুতীয়া গাঁওবোৰ ভ্ৰমণ কৰোঁতে ১৯৩০ চনত তাৰাপুৰ, আলেখাৰগোল আদি গাঁৱৰ চোতালে চোতালে হুঁচৰি গাই থকা নিজ চকুৰে দেখি আহিছিল। তদুপৰি চ'তৰ বিহুৰ দিনা গাঁৱৰ ডেকাল'ৰাবোৰে নৈত গৰুক গা ধুৱাই দিয়া দৃশ্যও তেওঁ দেখিছিল। 'সুৰমা উপত্যকাৰ অসমীয়া' শীৰ্ষক প্ৰৱন্ধত এইবোৰ দেখা কথাৰ উল্লেখ আছে।

[১৫] সুহাগমণি বৰ্মণ, **বীৰ শ্বহীদ শ্যামাকান্ত হাজৰিকা**, ৰাজকুমাৰ হাজৰিকা, ২০০০।



সক্ৰিয় অংশগ্ৰহণৰ মাজেৰে স্বাধীনতা আন্দোলনত অৰিহনা যোগাইছিল।[১৬] চান্দৰাম হাজৰিকাৰ দৰেই আদৰকোনা, ঘিলাইজান, কৈয়াজানি আদি গাঁৱৰ কেইবাগৰাকী চুতীয়া লোকে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল যদিও তেওঁলোকে চৰকাৰী স্বীকৃতি নাপালে। তদুপৰি তথ্য আৰু নথি-পত্ৰ সংৰক্ষণ নোহোৱাত চুতীয়া গাঁওবোৰত অনেক ঐতিহ্য আৰু অৱদানৰ প্ৰমাণ নাইকিয়া হৈছে। ক্ষেত্ৰ ভিত্তিক অধ্যয়ন চলাওঁতে জানিব পৰা গৈছে যে ভাৰতৰ স্বাধীনতাৰ পিছত বিভিন্ন সময়ত কেইবাগৰাকী উপায়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকে চুতীয়া গাঁওবোৰলৈ গৈ বিভিন্ন সুযোগ-সুবিধা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দি অনেক নথি-পত্ৰ আৰু সাঁচিপতীয়া পুথি আদি লৈ গৈছিল। পিছত তেওঁলোক বদলি হৈ গুচি যোৱাত গাঁওবাসীয়ে নথি-পত্ৰবোৰ ফিৰাই নাপালে।[১৭] বৰগোল গাঁৱৰ সাঁচিপাতৰ পুথিবোৰ সত্তৰ-আশীৰ দশকত দুজনমান অসমীয়া উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে লৈ যোৱাৰ পিছত ফিৰাই নিদিলে।[১৮] গাঁওবোৰত ব্যক্তিগত আৰু সামাজিক পুথিভঁৰালৰ অভাৱতো নথি-পত্ৰবোৰ সংৰক্ষিত হৈ নাথাকিল। সেয়ে বৰাক উপত্যকাৰ অসমীয়া চুতীয়া গাঁওবোৰৰ সঠিক অৱস্থানৰ সময়, জনসংখ্যা, সংস্থা-প্ৰতিষ্ঠান আদি সম্পৰ্কীয় লিখিত তথ্য-প্ৰমাণ বৰ বেছি সুলভ নহয়। তৎসত্বেও ২০০৫ চনত ক্ষেত্ৰ ভিত্তিক অধ্যয়ন চলাওঁতে বৰাক উপত্যকাৰ চুতীয়া জনগোষ্ঠী অধ্যুষিত গাঁওবোৰৰ সম্পৰ্কে কিছু তথ্যৰ সন্ধান পোৱা গৈছিল। তথাপিও, তথ্য পিপাসুসকলৰ বাবে ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ সেই তথ্যখিনি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব পাৰে।

বিভিন্ন প্ৰসংগত উল্লেখ কৰা হৈছে যে পূৰ্বতে বৰাক উপত্যকাৰ মুঠ উনৈশখন অসমীয়া চুতীয়া গাঁও আছিল। এই গাঁওবোৰৰ বৰ্তমান অৱস্থিতি অব্যাহত আছে যদিও কেইবাখনো গাঁৱৰপৰা কুৰি শতিকাৰ প্ৰথম তিনিটা দশকত একাংশ অসমীয়া চুতীয়া ৰাইজে বিভিন্ন ঠাইলৈ গুচি যোৱাত বা সা-সম্পত্তি বিক্ৰী কৰি দিয়াত ছয়খন গাঁৱত চুতীয়াসকল সম্পূৰ্ণ অস্তিত্বহীন হৈ পৰে। সেই ছয়খন গাঁও হ'ল - কাছাৰ জিলাৰ গুমড়া, সুদৰ্শনপুৰ, কৰিমগঞ্জ জিলাৰ এংলা বজাৰ, কছাৰী গাঁও, ইলাম আৰু হাইলাকান্দি জিলাৰ মবাকদমা। এই গাঁওকেইখনৰ নামৰ অস্তিত্ব আছে যদিও এইবোৰত চুতীয়া জনগোষ্ঠীৰ বসতি আজি নাই। ইয়াৰে ইলাম গাঁওখন আদৰকোনা আৰু বৰথলৰ মাজত অৱস্থিত হোৱা বাবে দুয়োখন গাঁৱৰ ৰাইজে ইলামখনক পৃথক গাঁও বুলি নধৰে। কছাৰী গাঁওখনত এসময়ত ডিমাচা-কছাৰীৰ বসতি আছিল। দুই-চাৰি ঘৰ চুতীয়া লোকো গাঁওখনত আছিল বুজি জনা যায়। এই গাঁওখনৰ ওচৰ- পাজৰৰ অসমীয়া চুতীয়া বসতি প্ৰধান গাঁওবোৰ

[১৬] চান্দৰাম হাজৰিকা সম্পৰ্কে তথ্যখিনি যোগান ধৰিছে তেওঁৰ নাতিনী মমতা চুতীয়া আৰু নাতিনী জোঁৱাই উপেন চুতীয়াই (গাঁও ঃ ছলিগ্ৰাম, জিলা ঃ কাছাৰ)।

[১৭] সংবাদদাতা, ঘিলাইজানৰ বিশ্বনাথ বৰুৱা (শিক্ষক)।

[১৮] সংবাদদাতা, মণিলাল হাজৰিকা, বৰগোল।

হ'ল - আলেখাৰগোল, বৰগোল, উত্তৰ বৰগোল, দক্ষিণ বৰগোল আৰু ঘিলাইজান। হাইলাকান্দি জিলাৰ মবাকদমা গাঁওখনত চুতীয়াসকলৰ অস্তিত্ব নাই। সম্ভৱতঃ কুৰি শতিকাৰ প্ৰথম ভাগতেই গাঁওখন চুতীয়া-শূন্য হৈ পৰে। জিলাখনত দ্বাৰকাপুৰ নামৰ চুতীয়া গাঁও এখন আছে। কাছাৰ জিলাৰ কালাইন আৰু গুমড়াৰ ওচৰৰ অসমীয়া চুতীয়া গাঁওবোৰ হ'ল - কৈয়াজানি, ভিতৰগোল, কোনাপাৰা গ্ৰান্ট আৰু ছলিগ্ৰাম। এইকেইখনৰ উপৰিও পূৰ্ণ পৰ্যায়ৰ এখন চুতীয়া গাঁও হ'ল শিলচৰৰ নাতিদূৰৰ তাৰাপুৰ গাঁও।

বৰাক উপত্যকাৰ সৰ্বাধিক জনসংখ্যা থকা চুতীয়া গাঁওখন হ'ল আদৰকোনা। ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাওঁতে ২০০৫ খ্ৰীঃৰ আগষ্ট মাহত এই গাঁওখনত ১৯০ ঘৰ চুতীয়া পৰিয়ালৰ অৱস্থিতিৰ কথা জনা গৈছিল। জনসংখ্যা প্ৰায় এহেজাৰ। টিলাৰে আগুৰা একোণৰ এই গাঁওখনৰ ৰাইজে সামাজিক জীৱনত আদৰ-সাদৰৰ পৰম্পৰা মানি চলে বাবে গাঁওখনৰ নাম আদৰকোনা হয় বুলি জনা যায়। গাঁওখনৰ সৰহভাগ ৰাইজে চুতীয়া উপাধি লিখে। কিছুমানে শইকীয়া, বৰদলৈ, বৰা আদি উপাধিও লিখে। গাঁওখনৰ ৰাইজে বছৰি বিহুৰ পৰম্পৰা মানি চোতালে চোতালে গৈ হুঁচৰি পৰিবেশন কৰে আৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ তিথি আদি পালন কৰে। এই গাঁওখনতে ১৯৯২ খ্ৰীঃৰ ১৩, ১৪ আৰু ১৫ মাৰ্চত 'সদৌ চুতীয়া জাতি সন্মিলন, অসম'ৰ চতুৰ্বিংশতিতম্ ৰাজ্যিক অধিবেশন অনুষ্ঠিত হৈছিল। অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল স্থানীয় বদৰপুৰৰ বিধায়ক আবু চাহেল নিজামুদ্দিন, কাৰ্যকৰী সভাপতি আছিল ভীমৰাজ চুতীয়া আৰু সম্পাদকদ্বয় আছিল মিনাৰাম হাজৰিকা আৰু উপেন চুতীয়া। মিনাৰাম হাজৰিকাৰ ঘৰ ঘিলাইজান নামৰ চুতীয়া গাঁৱত। তেওঁ বৰাক উপত্যকাৰ চুতীয়াসকলৰ হৈ বহুবাৰ 'সদৌ চুতীয়া জাতি সন্মিলন'ৰ অধিবেশনত প্ৰতিনিধিত্ব কৰিছিল। গড়ৰভিতৰ নামৰ কোচ গাঁৱৰপৰা আদৰকোনাৰ চুতীয়া জাতি সন্মিলনৰ অধিবেশনত সোতৰগৰাকী প্ৰতিনিধিয়েও যোগদান কৰিছিল। তেওঁলোক আছিল সৰ্বশ্ৰী শ্ৰীকুমাৰ মেধি, গৰ্গৰাম তালুকদাৰ, গুণধৰ বৰুৱা, বিজয় ভূঞা, ভাৰতী বৰুৱা, প্ৰতিভা ভূঞা, দীপালী ভূঞা, মুকুট বৰুৱা, উৎপল শইকীয়া, দেৱৰাণী দত্ত, পঞ্চমী মেধি, গীতাৰানী দত্ত, ৰত্না তালুকদাৰ, প্ৰণতি বৰুৱা, পুতুল তালুকদাৰ, দীপকণ মেধি আৰু ছাঁয়াৰানী চৌধুৰী।[১৯] শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰভাৱ থকা গাঁওখনত বাঙালী আৰু মণিপুৰী সংস্কৃতিৰ প্ৰভাৱ নাই। সেয়ে গাঁওখনক সম্পূৰ্ণৰূপে অসমীয়া সংস্কৃতিৰে চহকী এখন গাঁও বুলি ক'ব পাৰি। এই গাঁওখনৰ বাসিন্দাৰ পূৰ্বপুৰুষসকলে ১৭৪১ শক (১৮১৯ খ্ৰীঃ)ৰ মানৰ দ্বিতীয় আক্ৰমণৰ পিছত উজনি অসমৰ পৰা জয়ন্তীয়া হৈ বৰাক উপত্যকালৈ

[১৯] আদৰকোনাৰ উপেন চুতীয়াৰ পৰা পোৱা তথ্য। এই নামখিনিৰ বাদে উক্ত অধিবেশনত যোগদান কৰা প্ৰতিনিদি আৰু অন্যান্য তথ্য গাঁওখনত বিচাৰি পোৱা নগ'ল।



গৈছিল। সেয়ে গাঁওখন ১৮২২ চন মানত গঢ় লৈ উঠা বুলি ভবা হয়।[২০] একে সময়তে গঢ় লৈ উঠা আন এখন গাঁও হ'ল বৰথল। আদৰকোনাৰ দাঁতিৰ গাঁওখনত ২০০৫ খ্ৰীঃত মাত্ৰ কুৰি ঘৰ চুতীয়া পৰিয়ালৰ অৱস্থিতি লক্ষ্য কৰা যায়। ১৯৫০ খ্ৰীঃৰ আগলৈকে গাঁওখনত প্ৰায় চল্লিশ ঘৰ পৰিয়াল আছিল। তেওঁলোকৰ ভোগ-দখলী মাটি-বাৰী স্থানীয় জমিদাৰৰ অধীনত থকা বাবে ভূমিস্বত্ব পোৱা নাছিল। সেয়ে বহুতেই মাটি-বাৰী এৰি বা অতি কম দামত বিক্ৰি কৰি নগাঁও জিলাৰ লংকাৰ পিনে গুচি আহে। এই গাঁওখন যথেষ্ট আহল-বহল হোৱা বাবে ইয়াক বৰথল (বৰ + থল) বুলি জনা যায়। গাঁওখনত চুতীয়া, বৰদলৈ আৰু বৰা উপাধিৰ চুতীয়া লোকে বসবাস কৰে। আদৰকোনা আৰু বৰথলৰ বেছিভাগ লোকৰেই বসতি টিলাৰ ওপৰত।

আদৰকোনা আৰু বৰথলৰপৰা প্ৰায় পাঁচ কিলোমিটাৰ দূৰৰ ঘিলাইজান গাঁওখনত ২০০৫ খ্ৰীঃত সত্তৰ ঘৰ চুতীয়া লোকৰ বসতি বিচাৰি পোৱা গৈছিল। এই গাঁওখনৰ ৰাইজে হাজৰিকা, বৰুৱা, চুতীয়া আদি উপাধি লিখে যদিও ভাৰতৰ স্বাধীনতাৰ আগলৈকে মাটিৰ দলিল আৰু চৰকাৰী পঞ্জীত 'আহোম' বা 'অহম' বুলি লিখিছিল। পাহাৰৰ দাঁতিৰ টিলাৰে আগুৰা গাঁওখনৰ নামৰ উৎপত্তিৰ আঁতি-গুৰি বিশ্লেষণ কৰি জনা যায় যে টিলা আৰু পাহাৰৰ নামনিত প্ৰচুৰ পৰিমাণে লতাজাতীয় ঘিলা গছ আছিল। তদুপৰি গাঁওখনৰ দাঁতিয়েদি জান এটা বৈ গৈছে। সেয়ে টিলা আৰু পাহাৰৰ 'ঘিলা' আৰু নামনিৰ জানটোৰ নামেৰে গাঁওখনৰ নাম ঘিলাজান বা ঘিলাইজান হয়। এই গাঁওখনত জন্ম গ্ৰহণ কৰা আৰু ১৯৯৯ খ্ৰীঃৰ ভাৰত-পাকিস্তান সীমা বিবাদৰ সংঘৰ্ষত মৃত্যুবৰণ কৰা ১৫-অসম ৰেজিমেন্টৰ শ্যামাকান্ত হাজৰিকাৰ পৰিয়ালে তেওঁলোকৰ পূৰ্ব পৰম্পৰাক সন্মান জনাই মৃতকৰ বাবে কবৰস্থানৰ আৰ্হিৰ সমাধিস্থল এটি গাঁওখনৰ মাজ ভাগত সাজি দিছে।

ঘিলাইজান গাঁওখনৰ গাতে লাগি আছে বৰগোল, উত্তৰ বৰগোল, দক্ষিণ বৰগোল আৰু আলেখাৰগোল নামৰ চাৰিখন চুতীয়া গাঁও। এই গাঁওকেইখনৰ চুতীয়া লোকো আদৰকোনা, বৰথল আৰু ঘিলাইজানৰ ৰাইজৰ সৈতে উজনি অসমৰ পৰা একেলগে অহা। ২০০৫ খ্ৰীঃত ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাওঁতে বৰগোলত ৮০ ঘৰ, উত্তৰ বৰগোলত ৭ ঘৰ, দক্ষিণ বৰগোলত ৩০ ঘৰ আৰু আলেখাৰগোলত ৩০ ঘৰ চুতীয়া লোকৰ বসতিৰ উমান পোৱা গৈছিল। বৰগোলৰ বাসিন্দাই হাজৰিকা, বৰুৱা, তামুলী আৰু বৰা; উত্তৰ বৰগোল আৰু দক্ষিণ বৰগোলৰ বাসিন্দাই হাজৰিকা আৰু আলেখাৰগোলৰ বাসিন্দাই হাজৰিকা আৰু তামুলী উপাধি লিখে। এওঁলোক লাহন, দাঘৰীয়া আৰু জাপিসজীয়া বংশৰ বুলি জনা যায়।

বৰগোল নামটো বহল (বৰ) ঠাই বা চুকৰ (গোল) পৰা আহিছে। আনহাতে

[২০] সংবাদদাতা, গজেন চুতীয়া, আদৰকোনা, বয়স ঃ ৭৬ বছৰ।

আলেখাৰগোল নামটো আহিছে, 'আলে' খোৰাৰপৰা। আলেখোৰাৰ (আলে + খোৰা) অপভ্ৰংশ 'আলেখা' বা 'এলেখা' (এলেহুৰা) আৰু 'গোল' শব্দটো যোগ হৈ আলেখাৰগোল বা এলেখাৰগোল নামটো হৈছে। গাঁওখনক মাজৰগোল বুলিও বহুতে কয়। কছাৰী গাঁওখন ইয়াৰ দাঁতিতে আছিল বাবে ইয়াৰ এটা খণ্ড কছাৰীগাঁও বুলি জনা যায়।

ঘিলাইজান, বৰগোল, উত্তৰ বৰগোল, দক্ষিণ বৰগোল, আলেখাৰগোল আদি গাঁৱৰ চুতীয়া ৰাইজে মানৰ তৃতীয় আক্ৰমণৰ সময়ত, অৰ্থাৎ ১৮২১ খ্ৰীঃ মানত প্ৰথমে জয়ন্তীয়া আৰু তাৰ পিছত ক্ৰমে কালাইন, শিলচৰ, বৰগোল, আদৰকোনা আৰু সৰ্বশেষত চিলেটৰ পিনে বসতি আৰম্ভ কৰে।[২১] প্ৰথমে তেওঁলোকে পাহাৰৰ দাঁতি আৰু টিলাৰ হাবি কাটি বসতি কৰি ফল-মূল আৰু গছৰ পাত খাই জীৱন ধাৰণ কৰিছিল। জয়ন্তীয়া পাহাৰ অঞ্চল অতিক্ৰম কৰি নগাঁও জিলাৰ কঠীয়াতলী অঞ্চলৰ চুতীয়াসকলে হাবি-জংঘলেৰে ভৰা বৰগোল, ঘিলাইজান, আদৰকোনা, বৰথল আনকি চিলেটৰ দাঁতি-কাষৰীয়া জাপলং, ঘুনিবান, বগাইতুৰুং আদি ঠাইলৈ গুচি অহাৰ কাৰণ আছিল মানৰ অবৰ্ণনীয় পৈশাচিক অত্যাচাৰ। সেই অত্যাচাৰৰ চিকাৰ হৈ চুতীয়াসকলে য'তেই আশ্ৰয় লৈছিল, তাতেই কিছুদিন থকাৰ পিছত মান অহা বুলি ভাবি পুনৰায় ভিতৰুৱা অঞ্চললৈ গুচি গৈছিল। এনেদৰে নিৰাপত্তাৰ বাবে গৈ থাকোতে তেওঁলোকে বৰাক উপত্যকা আৰু সুৰমা উপত্যকাৰ পাহাৰৰ দাঁতিৰ নিৰাপদ ঠাইত ঘৰ সাজি বসতি কৰিছিল। এনেদৰে আহোঁতে চুতীয়াসকলে জয়ন্তীয়া পাহাৰ পাৰ হৈ প্ৰথমে গুমড়া আৰু কালাইনৰ ওচৰ-পাঁজৰে পাহাৰৰ দাঁতিত আৰু নৈৰ পাৰত গাঁও পাতিছিল। কাছাৰ জিলাৰ কালাইনৰ ওচৰৰ ছলিগ্ৰাম আৰু গুমড়াৰ ওচৰৰ কৈয়াজানি, ভিতৰগোল আৰু কোনাপাৰা গ্ৰান্ট আদি গাঁওবোৰ তেনেদৰেই গঢ় লৈ উঠিছিল। সেয়ে এইবোৰ কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ চুতীয়া গাঁওবোৰতকৈ দুই-এবছৰৰ আগতেই গঢ় লৈ উঠিছিল বুলি ক'ব পাৰি।

ছলিগ্ৰাম নামৰ চুতীয়া গাঁওখনত চুতীয়া, বৰুৱা, হাজৰিকা আৰু শইকীয়া উপাধিৰ লোকে বাস কৰে। ২০০৫ খ্ৰীঃত এই গাঁওখনত মুঠ ১৪ ঘৰ চুতীয়া পৰিয়াল আছিল। নাৰাং[২২] নৈৰ পাৰে-পাৰে বসতি গঢ় লৈ ছলিগ্ৰাম গাঁওখনৰ বহু লোক নগাঁও জিলাৰ লংকা আৰু মাইবাং অঞ্চললৈ ভাৰত বিভাজনৰ আগতে গুচি গৈছে। পূৰ্বতে গাঁওখন জংঘলেৰে ভৰি আছিল বাবে বহুতে দেও আৰু ভূত-প্ৰেতৰ ভয়াল (চলি বা ছলি) ঠাই বুলি ভাবি গাঁওখনলৈ যোৱা নাছিল। কালাইন অঞ্চলৰ অনা-অসমীয়া লোকে 'ছলি' বুলি কওঁতে ভয়াল আৰু 'গ্ৰাম' বুলি কওঁতে গাঁৱক বুজায়। সেয়ে ছলিগ্ৰাম মানে ভূত-প্ৰেতৰ ভয়াল ঠাই।

---

২১ সংবাদদাতা, মিনাৰাম হাজৰিকা, বয়স ঃ ৭৬ বছৰ, ঘিলাইজান।

২২ অপভ্ৰংশ হৈ নৈখনৰ নাম আৰাং বা নাৰিং বুলিও জনাজাত।



ছলিগ্ৰামৰ পৰা তিনি-চাৰি কিলোমিটাৰ দূৰৰ কৈয়াজানি (খৈয়াজানি) গাঁওখনত ২০০৫ খ্ৰীঃত ২৩ ঘৰ চুতীয়া আৰু তামুলী উপাধিৰ অসমীয়া পৰিয়ালৰ অৱস্থিতি আছিল। গুমড়া অঞ্চলত কাৰৈ মাছক 'কৈ' বুলি কয়। এই 'কৈ'ৰ পৰা 'কৈয়া' আৰু 'খৈয়া' আৰু গাঁওখনৰ দাঁতিয়েদি বৈ যোৱা 'জান'ৰ নামৰপৰা কৈয়াজানি বা খৈয়াজানি হয়। পূৰ্বতে হেনো গাঁওখনৰ বিল আৰু পথাৰ কাৰৈ মাছেৰে ভৰি আছিল। কৈয়াজানি আৰু আলেখাৰগোলৰ অনেক চুতীয়া পৰিয়াল স্বাধীনতাৰ পিছত উত্তৰ কাছাৰৰ হাৰাঙ্গাজাও অঞ্চললৈ গুচি গৈছে। গাঁওখনৰ দাঁতিতে লাগি আছে আন এখন চুতীয়া গাঁও ভিতৰগোল। এইখন এসময়ত এখন বৃহৎ গাঁও আছিল যদিও ২০০৫ খ্ৰীঃত গাঁওখনত মাত্ৰ তিনিঘৰ চুতীয়া পৰিয়াল বিচাৰি পোৱা গৈছিল। গাঁওখনৰ বাসিন্দাসকলে বৰা আৰু চুতীয়া (কোনোৱে চেতিয়া) উপাধি লিখে। কুৰি শতিকাৰ ষাঠি আৰু সত্তৰৰ দশকত গাঁওখনৰ সৰহভাগ লোক নগাঁও জিলাৰ লুটুমাৰি আৰু যমুনামুখ অঞ্চললৈ গুচি যায়। মানৰ আক্ৰমণৰ পিছত গঢ় লৈ উঠা গাঁওখনৰ ভিতৰভাগ হেনো গোল বা ঘূৰণীয়া আছিল। সেয়ে গাঁওখনৰ নাম ভিতৰগোল হয়। আনহাতে কোণীয়া-কোণীকৈ থকা বাবে কোনাপাৰা নাম পোৱা কোনাপাৰ গ্ৰান্ট নামৰ গাঁৱত কুৰিঘৰ তামুলী, হাজৰিকা আৰু চুতীয়া উপাধিৰ লোকে বসবাস কৰে। গাঁওখনত কুৰিটা পৰিয়াল আছে। বিবাহ সূত্ৰে বসবাস কৰা দাস উপাধিৰ লোকো গাঁওখনত আছে।

শিলচৰ নগৰৰ দাঁতিতে লাগি থকা তাৰাপুৰ নামৰ চুতীয়া গাঁওখন কৈয়াজানি, ছলিগ্ৰাম, কোনাপাৰা গ্ৰান্ট, ভিতৰগোল আদি গাঁৱৰ সমসাময়িক। এই গাঁওখনত মূলতঃ চুতীয়া, শইকীয়া, সন্দিকৈ আদি উপাধিৰ লোকে বসবাস কৰে। ১৯৩০ খ্ৰীঃত গাঁওখনত ৭০ ঘৰ চুতীয়া পৰিয়াল আছিল। ২০০৫ খ্ৰীঃত এই সংখ্যা কমি ৬৬ ঘৰ হয়গৈ। প্ৰায় সত্তৰ বছৰৰ ব্যৱধানত গাঁওখনৰ জনসংখ্যা হ্ৰাস হোৱাৰ কাৰণ হ'ল, বেছিভাগ লোকেই বিভিন্ন সময়ত সা-সম্পত্তি বিক্ৰি কৰি ব্ৰহ্মপুত্ৰ উপত্যকালৈ স্থানান্তৰ হৈছে। এসময়ত গাঁওখনত মৰাণ জনগোষ্ঠীৰো বসতি আছিল। ইয়াত আগেয়ে তাৰাচাঁদ নামৰ এজন বিখ্যাত মানুহ আছিল বাবে গাঁওখনৰ নাম তাৰাপুৰ হয়।[২৩] মান-ভগনীয়াসকলে গাঁওখনত থিতাপি লোৱাৰ সময়ত অঞ্চলটো হাবিয়নি আছিল। জয়নগৰ, ৰাণীঘাট আদিৰ জমিদাৰসকলে এই অঞ্চলত আধিপত্য বিস্তাৰ কৰিছিল। বিশেষকৈ আছাই লস্কৰ নামৰ জমিদাৰ এজনৰ পূৰ্বপুৰুষসকলে তাৰাপুৰ অঞ্চলত প্ৰজাৰ বসবাসৰ ব্যৱস্থা কৰিছিল। সেই অঞ্চলটোত তাৰাবনৰ সংখ্যা বেছি আছিল বাবে ঠাইখনৰ নাম তাৰাপুৰ হয় বুলিও বহুতৰ ধাৰণা।[২৪] গাঁওখনত এটি নামঘৰ আছে। এসময়ত মাৰ্ঘেৰিটাৰ কৃষ্ণানন্দ গোস্বামী, অচ্যুতানন্দ গোস্বামী; নগাঁৱৰ কমল গোস্বামী, ধাপতীয়া গোঁসাই; নগাঁৱৰ বাৰপুজীয়া (মৰিগাঁও), কাশীকান্ত শৰ্মা আদিয়ে এই গাঁওখনৰ ৰাইজক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ

---

২৩ তাৰাপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ দ্ৰষ্টব্য।

নৱবৈষ্ণৱ ধৰ্মৰ দীক্ষা দিছিল। নগৰৰ দাঁতিত অৱস্থিত হ'লেও গাঁওখনৰ চুতীয়া সমাজ বিভিন্ন দিশত অনগ্ৰসৰ। শিক্ষিতৰ হাৰ তেনেই নগণ্য। ডিব্ৰুগড়, মৰাণ, গুৱাহাটী আদি ঠাইলৈ গাঁওখনৰ একাংশ বাসিন্দা গুচি অহাত গাঁওখনত লাহে লাহে অনা-অসমীয়া লোকৰ বসতি বৃদ্ধি পাবলৈ ধৰিছে। আনকি বহু ক্ষেত্ৰত গাঁওখনৰ অসমীয়া জীৱনত বাঙালী আচাৰ-অনুষ্ঠান, পৰম্পৰা আৰু সংস্কৃতিৰ প্ৰভাৱো পৰিবলৈ ধৰিছে।

হাইলাকান্দি জিলাৰ একমাত্ৰ চুতীয়া গাঁও হ'ল দ্বাৰকাপুৰ। গাঁওখন হাইলাকান্দিৰ পৰা প্ৰায় তেৰ কিলোমিটাৰ নিলগৰ এক ঠাইত অৱস্থিত। গাঁওখনত হাজৰিকা, চুতীয়া, মেধি আৰু বৰ্মণ উপাধিৰ অসমীয়াভাষী লোকে বসবাস কৰে। ইয়াৰে হাজৰিকাসকল চুতীয়া আৰু মেধি-বৰ্মণসকল কোচ। গাঁওখনৰ অনেক পৰিয়াল নগাঁৱৰ লুটুমাৰি সমন্বিতে বিভিন্ন ঠাইলৈ স্থানান্তৰ হৈছে যদিও ২০০5 খ্ৰীঃত গাঁওখনত ৩৫ ঘৰ পৰিয়ালৰ বসতিৰ সন্ধান পোৱা গৈছিল। গাঁওখনৰ ৰাইজে একশৰণ নামধৰ্ম মতে চলে।

স্থানান্তৰত উল্লেখ কৰা হৈছে যে বৰাক উপত্যকাৰ অসমীয়া চুতীয়াসকলে প্ৰথম অৱস্থাত নথি-পত্ৰত 'অহম' বা 'আহোম' উপাধি লিখিছিল। ওচৰ- পাজৰৰ বাঙালী সমাজেও বৰাক উপত্যকাৰ চুতীয়াসকলক 'অহম' আৰু গাঁওবোৰক 'অহমপাৰা' বা 'আসামীপাৰা' বুলি কয়। একেদৰে ৰাজবংশীসকলক কয় 'দেহান' বুলি। ভাৰতৰ স্বাধীনতাৰ আগে-পিছে ৰাজবংশীসকলে 'দেহান'ৰ সলনি 'ৰাজবংশী' উপাধি লিখিবলৈ লোৱাৰ লেখীয়াকৈ চুতীয়াসকৰ শতকৰা প্ৰায় নব্বৈ ভাগেই 'অহম' বা 'আহোম'ৰ সলনি কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকলৈকে চুতীয়া উপাধি লিখিছিল। এই প্ৰক্ৰিয়া স্বাধীনতাৰ আগলৈকে অব্যাহত আছিল। কিন্তু স্বাধীন ভাৰত চৰকাৰৰ দিনত অবিভক্ত কাছাৰ জিলালৈ চাকৰি কৰিবলৈ গৈ চুতীয়া আৰু অনাচুতীয়া সমাজৰ কিছুমান বিষায়াই চুতীয়া গাঁওবোৰত ভূমুকি মাৰি বহুতকে একোটাকৈ 'ভাল উপাধি' লিখিবলৈ কৈছিল। তেওঁলোকে ৰাইজ বুজাবলৈ চেষ্টা কৰিছিল যে বিহাৰীকে ধৰি অন্য সমাজে চুতীয়া শব্দটোক তাচ্ছিল্যপূৰ্ণ আৰু অপমানসূচক শব্দ হিচাপে ব্যৱহাৰ কৰে; সেয়ে চুতীয়া শব্দৰ সলনি উপাধি হিচাপে উজনি অসমৰ চুতীয়াসকলৰ লেখীয়াকৈ অন্য উপাধি লিখিবলৈ কয়। এনে ক্ষেত্ৰত বৰাক উপত্যকাৰ চুতীয়াসকলৰ বেছিভাগেই কুৰি শতিকাৰ যাঠি আৰু সত্তৰৰ দশকৰ পৰা বৰুৱা, বৰা, হাজৰিকা, তামুলী, শইকীয়া আদি উপাধি ব্যাপকভাৱে লিখিবলৈ ধৰিলে। দুই-চাৰি ঘৰে সন্দিকৈ, বৰদলৈ, ভঁৰালী আদি উপাধিও লিখে।[২৫] বৰাক উপত্যকাৰ চুতীয়াসকল অফিচ-কাচাৰীলৈ গ'লে হেনো অনা-অসমীয়াসকলে সোধে - 'তুমি অহম না বাংগাল ?' উল্লেখযোগ্য যে বৰাক উপত্যকাৰ থলুৱা বাঙালীসকলে বিদেশী বা অবাঙালীক 'বাংগাল' বুলি কয়। বাংলাভাষাত 'বাংগাল'

[২৪] **কল্পতৰু**, সম্পাদনা দুৰ্গা দত্ত চৌধুৰী, প্ৰথম বছৰ, প্ৰথম সংখ্যা, ২০০০, মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ ৫৫২তম আৱিৰ্ভাৱ মহোৎসৱৰ স্মৃতিগ্ৰন্থ, তাৰাপুৰ, শিলচৰ।



মানে বিদেশী। বাঙালীসকলৰ প্ৰবচনতো আছে, - 'তেঁতুল হয়না মিষ্টি, বাংগাল হয়না ইষ্টি।' অৰ্থাৎ, তেঁতেলী পকিলেও সম্পূৰ্ণৰূপে মিঠা নহয়গৈ আৰু বিদেশীসকলো কুটুম নহয়গৈ। বৰাক উপত্যকাৰ জনসমাজৰ মেৰুকৰণৰ বাবে থলুৱা মুছলমানসকলে স্বাধীনতাৰ পাছত পূববংগ আৰু পিছৰ পিনে বাংলাদেশৰ পৰা অহা বাঙালী হিন্দুসকলক 'বাংগাল' বুলি কয়। তেনেদৰে হুছেন ছাহৰ দিনৰেপৰা যিসকল মুছলমান ধৰ্মান্তৰিত হৈ বা প্ৰব্ৰজন কৰি বংগৰ বাসিন্দত পৰিণত হৈছিল, তেওঁলোকক বংগ আৰু বৰাক উপত্যকাৰ বাঙালী হিন্দু সমাজত 'বাংগাল' বুলি অভিহিত কৰা হয়। সেই অৰ্থতেই অফিচ-কাচাৰীতো শব্দটোৰ প্ৰচলন হয়। অৱশ্যে শিক্ষিত সমাজৰ লোকে এই শব্দটো প্ৰায় ব্যৱহাৰ নকৰাই হৈছে।

পূৰ্বৰ 'অহম' আৰু পিছৰ পিনৰ চুতীয়াসকল বৰাক উপত্যকাত খিলঞ্জীয়া যদিও তেওঁলোক গাঁও পাতি থিতাপি লোৱাৰ পিছৰেপৰা হাবি-জংঘল কাটি বসতি আৰম্ভ কৰিছিল। ১৮২০ খ্ৰীঃৰ ভিতৰত এই কুৰিটা বছৰত প্ৰতিখন চুতীয়া গাঁও স্বয়ংসম্পূৰ্ণ হৈ পৰিছিল। খেতি-মাটি, শস্য, ঘৰ-দুৱাৰ আদিৰে নদন-বদন হ'লেও তেওঁলোকৰ সম্পত্তিৰ চৰকাৰী ভূমি-স্বত্ব নাছিল। ইংৰাজৰ দিনত প্ৰতিখন চুতীয়া গাঁৱৰ ভূমিস্বত্ব গুচি গৈছিল জমিদাৰৰ হাতলৈ। ইংৰাজৰ শাসন কালৰ শেষৰ পিনে ভূমিবোৰ জমিদাৰৰ হাতৰপৰা চৰকাৰৰ অধীনলৈ যোৱাৰ পিছত প্ৰতিখন চুতীয়া গাঁৱৰ ৰাইজে ভূমি দখলীস্বত্বৰ কাগজ পায়। ২০০5 খ্ৰীঃলৈকে বেছিভাগ ভূমি তেনেদৰে থাকিলেও একাংশ ভূমিৰ চৰকাৰী মাদ্যী পট্টা পাইছে। ম্যাদী পট্টা পোৱাৰ পিছত বহুতেই পানীৰ দৰত ভূমি সম্পত্তি বিক্ৰি কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত থিতাপি লৈছে।

তুলনামূল ভাৱে কৃষি ভূমি যথেষ্ট থাকিলেও চুতীয়া গাঁওবোৰৰ অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। টিলাৰ ওপৰত ঘৰ-বাৰী থকা চুতীয়াসকলে তামোল-পাণ, মাটিকঠাল, কল আদিৰ খেতি-বাতি কৰি স্বচ্ছল জীৱন যাপন কৰে। ঘৰৰপৰা নাতিদূৰৰ টিলাবোৰক বহুতেই পামখেতিৰ দৰে ব্যৱহাৰ কৰে। সমবায়ভিত্তিক খেতি ব্যৱস্থা গঢ় লৈ উঠা নাই যদিও দুই-এখন গাঁৱত চোমনি আছে। তেনে চোমনিত বহুতেই মুগা পলু পোহে। আদৰকোনা নামৰ গাঁওখনত চৰকাৰী ৰেচম শিল্পৰ ফাৰ্ম এখনো আছে। তাত চৰকাৰীভাৱে এৰী পলু পোহাৰ উপৰিও গাঁওবাসীয়ে নিজাববীয়াকৈ এৰী পলু পুহি তাৰপৰা সূতা উলিয়াই প্ৰয়োজনীয় মেখেলা-চাদৰ, এৰী-চাদৰ, গামোচা, চেলেং-চাদৰ আদি তৈয়াৰ কৰি লয়। সেয়ে বৰাক উপত্যকাৰ প্ৰতিখন চুতীয়া গাঁৱেই বয়ন শিল্পত চহকী। অৱশ্যে বজাৰমূল্য নোপোৱাৰ বাবে চুতীয়া গাঁওবোৰৰ বয়ন শিল্প লাভজনক হৈ উঠা নাই।

বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত কিছুমান উৎসৱ-পাৰ্বনৰ সময়ত ঘৰতে তৈয়াৰী কৰা সাঁজপানী ব্যৱহাৰ কৰে। হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ আগতে চুতীয়া সমাজত

[২৫] সংবাদদাতা, উপেন চুতীয়া, আদৰকোনা।

বোধহয় এই দ্ৰব্যৰ ব্যাপক ব্যৱহাৰ আছিল। সাঁজপানীৰ ব্যৱহাৰে তেওঁলোকৰ জনজাতীয় সমাজৰ চৰিত্ৰ বহন কৰি আছে। ৰাজবংশী গাঁওবোৰত মণিপুৰী আচাৰ-পৰম্পৰাৰে বিবাহ উৎসৱ পালন কৰা হয় যদিও চুতীয়া গাঁওবোৰত অসমীয়া সমাজৰ নিয়ম মতেই বিয়াৰ আনুষ্ঠানিকতা পালন কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া গাঁওবোৰৰ লেখীয়াকৈ বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰতো বিয়ানাম গায়। চুতীয়া গাঁওবোৰ ত সখি বা সখী পতা নিয়মো আছে। এই নিয়ম মতে দুজন ল'ৰা বা দুজনী ছোৱালীয়ে হাতত ধৰা-ধৰিকৈ একেলগে পানীত বুৰ মৰাৰ লগে-লগে সখি বা সখী পতা বুলি ধৰা হয়। পিছত ইঘৰে সিঘৰক মাতি নি ভোজ-ভাত বা জা-জলপান খুৱায়। কিছুমানে বিহুৱান, এৰী বা চেলেং চাদৰ, মেখেলা-চাদৰ আদি উপহাৰ দিয়ে। বৰাক উপত্যকাৰ চুতীয়া সমাজত লেটা, আমৰলি (আমডলীয়া) পৰুৱা, পৰুৱাৰ কণী আদি ভাজি খায়। সাঁজপানীৰ সৈতেও এইবোৰ খোৱাৰ পৰম্পৰা আছে। মাটিৰ চৰুত ভাজি ভাপত সিজোৱা এবিধ পিঠা (যাক 'গুটিপিঠা' বুলি কোৱা হয়)[২৬] বৰাক উপত্যকাৰ চুতীয়া সমাজৰ অতি প্ৰিয় জলপান। এইবিধ পিঠা বিয়া-বাৰুতো খুৱায়।

বৰাক উপত্যকাৰ চুতীয়া গাঁওবোৰত পুৰোহিত বিচাৰি পোৱা নাযায় বাবে প্ৰায়বোৰ গাঁৱৰে বিয়া ফাগুন মাহত পাতে। সেই সময়ত চুতীয়া গাঁওবোৰৰ ৰাস্তা-ঘাট তুলনামূলকভাৱে অহা-যোৱাৰ বাবে উপযোগী হৈ থাকে। সেয়ে নগাঁও জিলাৰ পৰা আমন্ত্ৰণ কৰি নিয়া পুৰোহিত বা ব্ৰাহ্মণে একেলগে কেইবাখনো গাঁৱৰ বিয়া মাহজুৰি পাতি গুচি আহে। বিয়াবোৰ হিন্দু নিয়ম মতে হোম পুৰি পতা হয়। বিবাহসূত্ৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুতীয়া গাঁও কিছুমানৰ সৈতেও বৰাক উপত্যকাৰ চুতীয়া গাঁৱৰ সম্পৰ্ক গঢ় লৈ উঠিছে। বাঙালী, ডিমাচা-কছাৰী, লালুং, নেপালী আৰু মণিপুৰী সমাজৰ জীয়ৰীও চুতীয়া গাঁওবোৰলৈ বোৱাৰী কৰি আনিছে।

বৰাক উপত্যকাৰ চুতীয়াসকলো অন্যান্য পিছপৰা সম্প্ৰদায় (অ' বি ছি) ৰূপে স্বীকৃত। নৃগোষ্ঠীগতভাৱে বড়ো-মঙ্গোলীয় জনগোষ্ঠীৰ অন্তৰ্গত হোৱা বাবে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰেই বৰাক উপত্যকাৰ চুতীয়াসকলেও জনজাতিৰ মৰ্যদা পোৱাৰ বাবে আন্দোলন কৰিছে। এই প্ৰসঙ্গত তেওঁলোকে বৰাক উপত্যকাৰ খিলঞ্জীয়া কোচ আৰু ৰাজবংশীসকলৰ সৈতে মিলি ১৯৮৬ খ্ৰীঃত 'বৰাক উপত্যকাৰ খিলঞ্জীয়া ছাত্ৰ সন্থা' নামৰ সংগঠন এটাও আৰম্ভ কৰিছিল। অৱশ্যে, পাঁচটামান বছৰ কাৰ্য পৰিচালনা কৰাৰ পিছত সেই সংগঠনটোৰ অস্তিত্ব লোপ পাইছে। কেইবাখনো চুতীয়া গাঁৱত কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা অসম সাহিত্য সভা, শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু সদৌ অসম

[২৬] এইবিধ গুটিপিঠা ২০০৫ চনৰ ২১ আগষ্টত আদৰকোনাৰ চুতীয়া মহিলা সন্ধ্যাৰানী চুতীয়াই বনাই এই লেখকক খাবলৈ দিছিল।



চুতীয়া সন্মিলনৰ শাখা গঠন কৰিয়ো আত্মসচেতনতা জাগ্ৰত কৰাৰ চেষ্টা কৰা হৈছে।

বৰাক উপত্যকাৰ অসমীয়া চুতীয়া গাঁওবোৰৰ মহিলাই পিন্ধন-উৰণতো সম্পূৰ্ণৰূপে অসমীয়া বৈশিষ্ট্য জীয়াই ৰাখিছে। আনকি সম্বোধনৰ ক্ষেত্ৰত আই, দেউতা (বোবা), ককাইদেউ (ককাই), বাইদেউ, বৰদেউতা, মামা, খুৰা (দেদাই), খুৰী, মামী, পেহা, পেহী, আইতা (আবৈ) আদি শব্দবোৰ চুতীয়া গাঁওবোৰত ব্যৱহাৰ কৰা হয়। বঙ্গীয় প্ৰভাৱ থকা বাবে কোনো কোনো লোকে কৰা উচ্চাৰণত কিছু ভিন্নতা লক্ষ্য কৰা যায়। যেনে - 'সম্পৰ্ক'ক 'ছম্পৰ্ক', 'তাঁতশাল'ক 'তাঁতছাল', 'অসম'ক 'অচম' আদি বুলি বহুতেই উচ্চাৰণ কৰে। লোক সংস্কৃতিৰ সৈতে জড়িত শব্দেৰে অনেকে নিজৰ নামো লিখা দেখা যায়। মহিলা আৰু ছোৱালীৰ মাজত ব'হাগী, কেতেকী, শেৱালী, আঘোণী আদি নামবোৰ প্ৰায়বোৰ গাঁৱতেই পোৱা যায়। চুতীয়া গাঁওবোৰত ধৰ্মীয় সংকীৰ্ণতা নাই বুলিয়েই ক'ব পাৰি। ওচৰৰ-পাজৰৰ বাঙালী হিন্দু আৰু মুছলমানসকলৰ সৈতে মিলি-জুলি চুতীয়াসকলে বসবাস কৰি আছে। অজ্ঞতাৰ বাবে দুই-এখন চুতীয়া গাঁৱত মাৰি-মৰকৰ পৰা ৰক্ষা পাবলৈ বুলি কুৰি শতিকাৰ শেষ ভাগলৈকে ডাইনী পূজা কৰিছিল।[২৭]

চুতীয়াসকলৰ জাতীয় চৈতন্যৰ উমান পাই অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো কোনো ৰাজনৈতিক নেতাই সুবিধাও নোলোৱাকৈ থকা নাই। এনে সুবিধা আদায়ৰ প্ৰধান আহিলা স্বৰূপ নিৰ্বাচনৰ সময়ত তেওঁলোকৰ আত্মচেতনা বোধক ব্যৱহাৰ কৰা হয়। উল্লেখনীয় যে, অসমৰ এসময়ৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বদৰপুৰ সমষ্টিৰ পৰা বিধান সভাৰ উপনিৰ্বাচনত জয়ী হৈ সমষ্টিটোৰ অন্তৰ্গত বৰগোল, আদৰকোনা, বৰথল, ঘিলাইজান, উত্তৰ বৰগোল, দক্ষিণ বৰগোল, আলেখাৰগোল আদি অসমীয়া চুতীয়া গাঁওবোৰক প্ৰতিনিধিত্ব কৰিছিল। চলিহাৰ দিনত সেইবোৰ গাঁৱৰ উন্নয়ন হোৱা দূৰৰে কথা, বৰঞ্চ গাঁওবাসীয়ে চলিহাকৃত ১৯৬০ খ্ৰীঃৰ ভাষা-চাৰ্কুলাৰৰ মানসিক বোজা বহুদিনলৈকে বহন কৰি ওচৰ-পাঁজৰৰ অনা-অসমীয়াসকলৰ সামাজিক চাপ সহ্য কৰিবলগা হৈছিল।[২৮] মন কৰিব লগা যে, সুদীৰ্ঘ দিনৰ ইতিহাস আৰু ঐতিহ্য বহন কৰিলেও অসমৰ অন্যান্য জনগোষ্ঠীৰ তুলনাত বৰাক উপত্যকাৰ চুতীয়াসকল বিভিন্ন দিশত পিছপৰা। তথাপিও স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল হৈ উঠা এই জনগোষ্ঠীটো অসমৰ জাতীয় জীৱনৰ এক এৰাব নোৱাৰা শক্তিশালী অঙ্গ।

[২৭] সংবাদদাতা, উপেন চুতীয়া, আদৰকোনা।

[২৮] সংবাদদাতা, ৰাজকুমাৰ চুতীয়া, আদৰকোনা।

# *চুতীয়াসকলৰ ধৰ্ম বিশ্বাস*

## পুৰণি ধৰ্মবিশ্বাস

চুতীয়াসকলৰ পুৰণি ধৰ্ম বিশ্বাসৰ আধাৰ হ'ল প্ৰাচীন প্ৰাগ্জ্যোতিষ-কামৰূপৰ 'কিৰাত সম্ভূত' ধৰ্ম প্ৰথা। বিশেষকৈ এই অঞ্চল পূৰ্বতে কিৰাতসকলৰ বাসস্থান আছিল। মিথিলাৰ ৰাজকোঁৱৰ নৰকে ইয়াত শাসন কৰিবলৈ লোৱাৰ পৰা আৰ্যসকলৰ বাসস্থান আৰম্ভ হ'ল। **কালিকা পুৰাণ**ৰ বিৱৰণ মতে নৰকে কিৰাত ৰজা ঘটকাসুৰক ঘটুৱাই প্ৰাগ্জ্যোতিষত আধিপত্য বিস্তাৰ কৰিছিল। এই কিৰাত সকলকে এই দেশৰ পৰা উচ্ছেদ কৰি পূবৰ দিক্কৰবাসিনী পীঠ পৰ্যন্ত খেদি পঠোৱা হ'ল। পুৰাণখনৰ মতে, এই দেশত শিৱৰ আধিপত্যই বিৰাজ কৰিছিল। শম্ভু (শিৱ) অনাৰ্য কিৰাতসকলৰ উপাস্য দেৱতা আছিল। সেয়েহে ইয়াত শৈৱধৰ্মই প্ৰতিষ্ঠা লাভ কৰিছিল। কিন্তু নৰকে এই ৰাজ্যত মহামায়া দেৱীক প্ৰতিষ্ঠা কৰাত শৈৱধৰ্ম গোপন ৰূপে ৰৈ গৈছিল (অন্তৰ্গুপ্ত স মে পুৰে)। তাৎপৰ্যপূৰ্ণ কথা যে যিজন নৰকে এই দেশত দেৱী উপাসনা প্ৰৱৰ্তন কৰিলে, নৰকবংশীয় বুলি দাবী কৰা প্ৰাচীন প্ৰাগ্জ্যোতিষ-কামৰূপ ৰাজ্যৰ ৰজাসকল ঘাইকৈ শৈৱহে আছিল। প্ৰাচীন তাম্ৰশাসনবোৰত ক'তোয়েই দেৱীৰ কথা উল্লেখ নাই। আনকি পুৰাণ প্ৰখ্যাত কামাখ্যা দেৱীৰো কোনো উল্লেখ পোৱা নাযায়। কেৱল দশম শতিকাৰ ৰজা ইন্দ্ৰপালৰ এখন তাম্ৰশাসনত 'কামেশ্বৰ মহাগৌৰী'ৰ উল্লেখ আছে। তাকো কামেশ্বৰ (শিৱৰ) লগত যৌথ ভাৱেহে।[১]

**বিষ্ণুপুৰাণ** আৰু **হৰিবংশ**ত প্ৰাচীন কামৰূপৰ অধিবাসীসকলক কিৰাত বুলি উল্লেখ কৰা হৈছে। শোণিতপুৰৰ বাণ আৰু কুণ্ডিলৰ ভীষ্মকৰ কথাও উক্ত পুৰাণ দুখনে উল্লেখ কৰিছে।[২] পণ্ডিতসকলৰ মতে, 'কিৰাত' শব্দই গুহা আৰু অৰণ্যবাসী লোকক বুজায়। অৱশ্যে, উত্তৰ-পূব ভাৰতৰ সকলো জনগোষ্ঠীয়েই কিৰাতসকলৰ অন্তৰ্গত। সেয়েহে, অসমৰ আদিম অধিবাসী হিচাপে জনাজাত অসমৰ বড়ো-কছাৰীসকল ইয়াৰ প্ৰধান অংশীদাৰ আছিল। বড়ো-কছাৰী মূলৰ চুতীয়াসকলো স্বাভাৱিক অৰ্থতে কিৰাত

১ Dr. Dharmeswar Chutia, **Kalika Purana : Socio Cultural Studies**, 1970, an unpublished Ph.D. Thesis, Gauhati University, p. 29

২ "Bishnu Purana and Hari Vamsa refer to the Kiratas and other people of Kamrupa, to Bana of Sonitpur and to Bhismaka of Kundina ..."- P.C. Choudhury, **Civilization of the People of Assam to the 12th Century**, p. 13



আছিল। কিয়নো, চতুৰ্দশ শতিকাৰ সদিয়াত ৰাজত্ব কৰা চুতীয়া ৰজা সত্যনাৰায়ণে মাটি দান দিয়া তামৰ ফলিত চুতীয়া ৰজাজনক 'সুৰ-ৰিপু-ৰংশাংশ-ভূতো' অৰ্থাৎ 'দেৱতাৰ শত্ৰু - অসুৰ বংশোদ্ভৱ'[৩] বোলা হৈছে। কিৰাত ৰজাসকলক অসুৰ বংশীয় বুলি উল্লেখ কৰা হয়। কিৰাতসকলৰ ধৰ্মবিশ্বাসৰ মূল আছিল আদিম কালৰ মাতৃ পূজা। ইয়াকে শাস্ত্ৰত 'কৈৰাতজ ধৰ্ম' বুলিও কৈছে। কিন্তু আৰ্য ব্ৰাহ্মণসকলৰ প্ৰব্ৰজন আৰু তাৰ ফলত হোৱা সাংস্কৃতিক সংমিশ্ৰণৰ হেতু কৈৰাতজ ধৰ্মলৈয়ো ব্ৰাহ্মণ্য ধৰ্মৰ বীজ সম্প্ৰসাৰিত হ'ল।

আৰ্যসকলৰ বৈদিক ধ্যান-ধাৰণাৰ সৈতে 'কৈৰাতজ ধৰ্ম'ৰ এইদৰে হোৱা সংমিশ্ৰণৰ ফলত 'শক্তি' আৰু 'শৈৱ' ৰূপ উদ্ভৱ হয়। এয়ে আছিল চুতীয়াসকলৰ প্ৰাতঃকালৰ বা 'আদ্য-ধৰ্ম'।[৪] অৰ্থাৎ প্ৰাতঃকালৰ চুতীয়াসকল শক্তিৰ উপাসক আছিল। সি যি কি নহওক, কৈৰাতজ ধৰ্মৰ খোপনি তেওঁলোকৰ মাজত বহু শতিকাজুৰি প্ৰচলন আছিল। **যোগিনীতন্ত্ৰ**ত উল্লেখ আছে যে কৈৰাতজ ধৰ্মত বিশ্বাসীসকল হীনাচাৰী, সৰ্বৱিক্ৰয়ী, সৰ্বাক্ষী। তেওঁলোকে নিজৰ সকলো বিক্ৰী কৰে আৰু সকলো দ্ৰব্য ভক্ষণ কৰে। তাৰ তিৰোতাবোৰ সদায় সন্তুষ্ট আৰু পূণ্যবান।

(হীনাচাৰৰন্তস্ত্ৰ সৌমাৰে সবাক্ষী সৰ্বৱিক্ৰয়ী
তত্ৰ নাৰী সদা তুষ্টা তত্ৰ ৰাজা সু পুণ্যৱান।। ২.৯.১৭)

কৈৰাতজ ধৰ্মত কোনো সন্যাস ব্ৰত বিধান নাই। ইয়াত মাছ-মাংস ত্যাগ কৰি ব্ৰহ্মচৰ্য ব্ৰত মানিব নালাগে। হাঁহ, পাৰ, কাছ, গাহৰিৰ মাংস ভক্ষণ কৰিব পাৰি, কিন্তু নিৰামিষ হ'লেহে বিপদ। সেয়েহে ইয়াত সহজে সংসৰ্গ বা মিলামিছা কৰাত কোনো দোষ নাই।

(সৰ্বেশি যোগিনীপীঠে ধৰ্মঃ কৈৰাতজঃ মতঃ।।
কামৰূপে ন সংন্যাসস্তথা দীৰ্ঘব্ৰতং প্ৰিয়ে।
ন ত্যজেৎ সামিষং দেৱী ব্ৰহ্মচৰ্যমতং ন চ।।
সংসৰ্গাৎ পাতকং নৈৱ স্ত্ৰীধৰ্মে ধৰ্মমাশ্ৰয়েৎ। ২.৯.১৩)

আৰ্যসকলৰ আগমনৰ পূৰ্বে কামৰূপক 'ম্লেছ দেশ' হিচাপেও অভিহিত কৰা হৈছিল। টীকাকাৰ সৰ্বানন্দই সৰ্বস্বত লিখিছে - "ভাৰতবৰ্ষস্য অন্তদেশঃ শিষ্টাচাৰ ৰহিতঃ কামৰূপাদি ম্লেছ দেশঃ'। এই অঞ্চলৰ ধৰ্ম ৰীতি-নীতি, সমাজ ব্যৱস্থা আৰ্যৱৰ্ত্তৰ পৰা সম্পূৰ্ণ পৃথক আছিল। 'ম্লেছ' শব্দই বড়ো - কছাৰী মূলৰ জনজাতি লালুং, মেচ,

৩ "স্বধেবেশ্মনি দৈৱকী সততং সৎকৰ্ম সম্পাদিনী - তস্যগৰ্ভ সমুদ্ভবো সুৰ-ৰিপু-বশোংসভুতো ধৰা ভাৰোদ্বাৰা কৰো জিতাৰি নিবহঃ সমাভবদ্ ভূপতিৰুগ্ৰবীৰ্য শ্ৰীসত্যনাৰায়ণ তুল্য এসঃ"; সৰ্বেশ্বৰ বৰুৱা, চতুৰ্দশ শতিকাৰ দুখন তামৰ ফলি, **মণিদীপ**, পঞ্চম বছৰৰ তৃতীয় সংখ্যা, জানুৱাৰী, ১৯৬৫

৪ সূৰ্য্যকান্ত খনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি**, প্ৰথম প্ৰকাশ, পৃঃ ২৮৭

চুতীয়াসকলকে বুজায়।[৫] ম্লেছৰ ধৰ্মক পৌত্তলিক বা জড়োপাসনাও বুলিব পাৰি।[৬] ভাৰতৰ সকলো প্ৰান্তৰত বৌদ্ধধৰ্মৰ বিস্তৃতিৰ সময়ত পুৰণি অসমতো বৌদ্ধধৰ্মৰ এটি সুঁতি বৈছিল। ষষ্ঠ শতিকাৰ শেষৰ ফালে বৌদ্ধৰ মহাযান পন্থাৰ সাধনা অসমত প্ৰচলিত আছিল। পিছত অৱশ্যে হিন্দু ধৰ্মৰ পুনৰ প্ৰচাৰ আৰু উত্থানত বৌদ্ধধৰ্ম স্তিমিত হয়। কিন্তু মানুহৰ আচাৰ-নীতি আৰু পদ্ধতিত বৌদ্ধাচাৰৰ প্ৰভাৱ থাকি গ'ল। চুতীয়াসকলৰ মাজতো বৌদ্ধাচাৰ সোমাল।

কালক্ৰমত চুতীয়াসকলৰ ধৰ্ম বিশ্বাসত বৈদিক ধৰ্মৰ প্ৰভাৱো পৰিল। এই পন্থাবোৰ আলোচনা কৰিবলৈ যাওঁতে জনশ্ৰুতি (কিংবদন্তি), দেউৰীসকলৰ পৰম্পৰাগত উপাসনা পদ্ধতি, তাম্ৰলিপিত পোৱা চুতীয়া ৰজাসকলৰ বিষ্ণু উপাসনা, বৈদিক আচাৰ-ৰীতি, নৱ বৈষ্ণৱবাদ আদি কেইবাটাও দিশত আলোকপাত কৰিব লাগিব। আগেয়ে উল্লেখ কৰি অহা হৈছে যে, চুতীয়াসকল শক্তি উপাসক আছিল। তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা আৰু দেৱী হ'ল কুণ্ডি-মামা (আদি পুৰুষ-প্ৰকৃতি) অৰ্থাৎ পৰম শক্তি। কিন্তু চুতীয়াসকলৰ পৰিৱৰ্তিত ধৰ্মবিশ্বাসত দুটা ধাৰা লক্ষ্য কৰা যায় - (১) প্ৰাচীন পৰম্পৰাগত উপাসনা আৰু (২) শাস্ত্ৰীয় ধাৰা।[৭] পৰৱৰ্তী কালত পুৰাণ আৰু তন্ত্ৰ শাস্ত্ৰবোৰৰ দিনত এই দুই পদ্ধতিৰ মাজত সমন্বয়ৰ এক প্ৰয়াসো চলিছিল। প্ৰাচীন দেৱ-দেৱীসকলৰ উপাসনাত আৰু ধৰ্ম পদ্ধতিত বৈদিক তান্ত্ৰিক মন্ত্ৰ জাপি দিয়া হৈছিল। কিন্তু এই সংস্কৃতায়ন (Sanskritisation) কৰিবলৈ যাওঁতে প্ৰথম অৱস্থাত সংঘাতৰো উদ্ভৱ হৈছিল। দেউৰীসকলৰ মাজত প্ৰচলিত প্ৰবাদ মতে, তাম্ৰেশ্বৰী মন্দিৰত প্ৰাধান্য লাভক কেন্দ্ৰ কৰি ব্ৰাহ্মণ পুৰোহিত আৰু চুতীয়াসকলৰ প্ৰাচীনকালৰ পুৰোহিত দেউৰীসকলৰ মাজত সংঘৰ্ষৰো সৃষ্টি হৈছিল।[৮]

মধ্যযুগত চুতীয়াসকলৰ ধৰ্ম পৰম্পৰা সম্পৰ্কে ভালেখিনি নিৰ্ভৰযোগ্য সমল পোৱা যায়। এইবোৰৰ ভিতৰত **কালিকা পুৰাণ**, **যোগিনীতন্ত্ৰ**, আহোম যুগত ৰচিত বুৰঞ্জী আৰু প্ৰত্নতাত্ত্বিক নিদৰ্শনসমূহ অন্যতম। আনুমানিক নৱম-দশম শতিকামানত ৰচিত **কালিকাপুৰাণত** দিক্কৰবাসিনী পীঠত ধৰ্মীয় পদ্ধতি, আচাৰ-নীতিৰ বিষয়ে বিশেষ উল্লেখ আছে। তাৰোপৰি প্ৰত্নতাত্ত্বিক সমল, যেনে তাম্ৰলিপিত চুতীয়া ৰজাসকলে পঞ্চদেৱতা - শিৱ, পাৰ্বতী, বাসুদেৱ, গণেশ আৰু অৰুণক পূজা কৰাৰ কথা পোৱা

[৫] 'ম্লেচ্ছ' শব্দক কোনো কোনোৱে 'মেচ' শব্দৰে সংস্কৃতকৰণ বুলিও ভাবে। আনহাতে, প্ৰাচীন সংস্কৃত শাস্ত্ৰবোৰত 'ম্লেচ্ছ' শব্দৰ বৈয়াকৰণিক গঠন আৰু ই বুজুৱা অৰ্থক বিস্তৃতভাৱে আলোচনা কৰা দেখা যায়। বিস্তৃত আলোচনাৰ বাবে Romila Thapa ৰ গ্ৰন্থ **Ancient Indian Social History**, (Delhi, 1978) চাওক।

[৬] গুণাভিৰাম বৰুৱা, **আসাম বুৰঞ্জী**, তৃতীয় প্ৰকাশ, ২০০৩, পৃঃ ১৫৪।

[৭] Dr. Dharmeswar Chutia, **Kalika Puran : Socio Cultural Studies**, 1970, an unpublished Ph.D. Thesis, Gauhati University.

[৮] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৫১



যায়।

**কালিকা পুৰাণত** উল্লেখ কৰা মতে অসমত বিষ্ণুৰ উপাসনা কৰা স্থান পাঁচখন - (১) মণিকূট, (২) মৎস্যধ্বজ পাহাৰ, (৩) পাণ্ডুপথ, (৪) চিত্ৰবহ পাহাৰ আৰু (৫) দিক্কৰবাসিনী পীঠ (সদিয়া)। ইয়াৰে মণিকূটত বিষ্ণুৰ হয়গ্ৰীৱ ৰূপত, মৎস্যধ্বজ পাহাৰত বিষ্ণুৰ মৎস্যৰূপত, পাণ্ডুপথত বিষ্ণুৰ ভৈৰৱ ৰূপত, চিত্ৰবহত বৰাহ ৰূপত আৰু দিক্কৰবাসিনী পীঠত বাসুদেৱ (বিষ্ণু)ক উপাসনা কৰা হয় তান্ত্ৰিক পদ্ধতিৰে। গতিকে দেখা যায় যে, 'পুৰুষ আৰু প্ৰকৃতি'ৰ লগতে চুতীয়াসকল তান্ত্ৰিক বৈষ্ণৱ ধৰ্মত বিশ্বাসী আছিল।[৯] উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰত সংৰক্ষিত চতুৰ্ভূজ বিষ্ণুমূৰ্তি, পিতলৰ ডবা, কাঁহ, ঘন্টা, দোলা আদি সামগ্ৰীসমূহ চুতীয়া ৰজা ধৰ্মধ্বজপালৰ বুলি কোৱা হয়। দোলাখনৰ এফালে গৰুড় আৰু আনফালে এটা চক্ৰ আছে। **ছোট কোঁৱৰৰ বুৰঞ্জীত** উল্লেখ আছে - 'পূৰ্বে ৰাজাসকলে।। আপোন দেশে তিনি দেৱতাক উপাসা কৰিছিল।। শাক্ত, শৈৱ, বিষ্ণু।। এই ছোট কোঁৱৰক গোসানী পূজাৰ আজ্ঞা দিলে।।"[১০] এই ক্ষেত্ৰত প্ৰামাণ্য সমল হিচাপে চুতীয়া ৰজাৰ দ্বাৰা স্থাপিত হাৰ্হি দেৱালয়ৰ অষ্টভূজা দূৰ্গা, দ্বিভূজা ভৱানী, চন্দ্ৰিকা, ভৈৰৱী, মহাভৈৰৱীৰ মূৰ্ত্তিৰ উপৰিও বিষ্ণু, লক্ষ্মী, সৰস্বতী, ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তি, শিৱ-পাৰ্বতীৰ মূৰ্ত্তিৰ কথা উল্লেখ কৰিব পাৰি। গতিকে বিষ্ণু-শিৱ আৰু শক্তি পূজাৰ সমন্বয়ত চুতীয়াসকলৰ ধৰ্ম বিশ্বাস গঢ়ি উঠিছিল। চুতীয়াসকলৰ ৰাজধানী 'ৰত্নপুৰ'ত এটি বাসুদেৱৰ মূৰ্ত্তি আৱিষ্কাৰ হৈছিল। 'কামৰূপ আৰু সৌমাৰৰ কিয়দংশত সেই ধৰ্মৰ (শংকৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম) বহুলকৈ প্ৰচাৰ হোৱাৰ পিছত তেওঁ চুতীয়াৰ ৰাজধানী ৰত্নপুৰলৈ যাত্ৰা কৰে। সেই যাত্ৰাত আগৰ দিনৰ ভীষ্মক ৰজাৰ ৰাজধানী কুণ্ডিল নগৰৰ পৰা বাসুদেৱৰ মূৰ্ত্তি এখন লাভ কৰি আনেগৈ।"[১১] ২০০১ চনত ঢকুৱাখনাৰ কোঁৱৰ গাঁৱত আৱিস্কৃত 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ (১৪৪৪ শক)'ত চুতীয়া ৰজা ধীৰনাৰায়ণক বিষ্ণুপূজক হিচাপে উল্লেখ কৰা হৈছে।[১২]

পুৰণি অসমৰ শক্তি পূজাৰ এগৰাকী দেৱী হ'ল দিক্কৰ বাসিনী। পণ্ডিতসকলৰ মতে, **কালিকা পুৰাণত** উল্লেখ কৰা দিক্কৰবাসিনী পীঠ হ'ল অসমৰ উত্তৰ-পূবৰ অৰ্থাৎ সদিয়াক কেন্দ্ৰ কৰি গঢ়ি উঠা ধৰ্মীয় অঞ্চল। বৰ্তমান সদিয়াৰ অলপ দূৰতে দিক্ৰং বা দিক্ৰাই নদী। এই অঞ্চল চুতীয়া ৰাজ্যৰ ভিতৰুৱা আছিল আৰু চুতীয়াসকলৰ উপাস্যদেৱী কেঁচাইখাঁতী দিক্কৰবাসিনী হিচাপেও জনাজাত আছিল। **যোগিনীতন্ত্ৰত** আছে - 'কৰতোয়াং

[৯] "The Chutias were Originally a tribe of Bodo race. Their kings being Hinduised accepted the Tantric faith."; K.L. Baruah, **Early History of Kamrup**, p. 183

[১০] **ছোট কোঁৱৰৰ বুৰঞ্জী**, সম্পাদনা- কোষেশ্বৰ বৰুৱা, দ্বিতীয় প্ৰকাশ, ২০০৫, পৃঃ ৩১

[১১] পদ্মনাথ গোহাঞিবৰুৱা, **অসমৰ বুৰঞ্জী**, পৃঃ ২৬

[১২] ড° নিত্যানন্দ গগৈ - "সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ১৪৪৪ শক", **আমাৰ অসম**, ২৫ জানুৱাৰী ২০০২ চন, (ত/জ্জ ঃ সধেয়াধিপতি ওঁ (শ্ৰী) বিষ্ণু ঃ শ্ৰী ধীৰনাৰায়ণ নামধেয়।

সমাৰভ্য যাবদ্ দিক্ৰবাসীনীম্।" এই দিক্ৰ নদীয়ে পুৰণি কামৰূপৰ সীমা আছিল। দিক্ৰবাসীনীৰে দুটা ৰূপ হ'ল তীক্ষ্ণকান্তা আৰু ললিতাকান্তা। এই দেৱীৰ অপৰূপ আৰু অতুলনীয় ৰূপ-লাৱণ্যৰ বাবে দেৱীক ললিতাকান্তা হিচাপে অভিহিত কৰা হয়। অন্যহাতে তীক্ষ্ণকান্তাৰ ৰূপ অতি ভয়ানক। তীক্ষ্ণকান্তা মৃত্যু আৰু ধ্বংসৰ প্ৰতীক। কামাখ্যা দেৱীক কৰা পূজা-অৰ্চনাৰ সৈতে তীক্ষ্ণকান্তাৰ পূজাৰ সাদৃশ্য থাকিলেও, এই দেৱীৰ উপচাৰ হ'ল - অতি চোকা মদ, নৰৰক্ত, ভজা মাংস, নাৰিকল আৰু কুহিঁয়াৰ।[১৩] তীক্ষ্ণকান্তাক 'উগ্ৰতাৰা' হিচাপেও জনা যায়। ভয়ানক দেৱী তীক্ষ্ণকান্তা দিক্ৰবাসীনী বা উগ্ৰতাৰা (একজঁটা) ই হ'ল তাম্ৰেশ্বৰী। চুতীয়াসকলে এই উপাস্য দেৱী তাম্ৰেশ্বৰী/ কেঁচাইখাঁতী)ক পূজা কৰিছিল। চুতীয়াসকলৰ 'তাম্ৰেশ্বৰী মন্দিৰে'ই উত্তৰ-পূব সীমান্তৰ জাতি-জনগোষ্ঠীসমূহৰ এক আকৰ্ষণীয় উপাসনা স্থলীলৈ পৰিণত হৈছিল। উগ্ৰতাৰাৰ অন্যৰূপ কেঁচাইখাঁতী মন্দিৰত চীন-তিব্বতৰ লোক আহি পূজা দিছিল। কাৰণ, উগ্ৰতাৰা (তাৰাদেৱী) বৌদ্ধধৰ্মালম্বী তিব্বতীয়সকলৰ স্থানীয় দেৱী আছিল।[১৪] ড° বাণীকান্ত কাকতীয়েও উগ্ৰতাৰা (একজঁটা)ক তাম্ৰেশ্বৰীৰ অন্য ৰূপ হিচাপে অভিহিত কৰিছে আৰু বৌদ্ধ প্ৰভাৱৰ কথা স্বীকাৰ কৰিছে।[১৫]

বৌদ্ধ তান্ত্ৰিক দেৱী তাৰাই মাতৃ মালন্তী (মামা) আৰু কেঁচাইখাঁতীৰ ৰূপত এক শক্তিশালী দেৱী হিচাপে জনমানসত স্থান লাভ কৰে।[১৬] খ্ৰীঃ ৭ম শতাব্দীৰে পৰা তিব্বতৰ পৰা অনা বৌদ্ধ তাৰা দেৱীৰ, হিন্দু তন্ত্ৰৰ অন্যতম সংস্কৰণ, একজঁটা, উগ্ৰতাৰা, কেঁচাইখাঁতীৰ পূজা পাতল দেউৰী-চুতীয়া পূজাৰীসকলৰ, আৰু চুতীয়া ৰাজত্ব তথা চুতীয়া ৰাজ্যৰ এক বিশেষ সংগতি স্বৰূপে প্ৰতিফলিত হৈছিল।"[১৭]

এনেবোৰ দিশ লক্ষ্য কৰিয়ে চাৰ এডৱাৰ্ড গেইটে লিখিছিল - 'চুতীয়াসকলৰ ধৰ্ম আছিল বৰ কৌতুহলজনক। তেওঁলোকে কালী দেৱীৰ ভিন্ন ৰূপক উপাসনা কৰিছিল। ব্ৰাহ্মণসকলৰ পৰিৱৰ্তে, তেওঁলোকে জনজাতীয় পুৰোহিত দেউৰীসকলৰ দ্বাৰা কেঁচাইখাঁতীৰ পূজা আয়োজন কৰিছিল। কেঁচা মাংস ভক্ষণকাৰী দেৱী কেঁচাইখাঁতীৰ

---

[১৩] **কালিকা পুৰাণ** ঃ ৮৩ঃ৫১

[১৪] ড° পদ্মেশ্বৰ গগৈ, 'তাৰা দেৱীৰ উপাসনা', অসম সাহিত্য সভা পত্ৰিকা, ১৬শ বছৰ, ৩য় সংখ্যা

[১৫] "The names Ugratara and Ekjata as epithets of the Goddess Tameswari, are suggestive of the Buddhist influence" - Bani Kanta Kakati, **The Mother Goddess Kamakhya**, 1967, pp. 56-61

[১৬] "The Buddhist - Tantric goddess Tara was also granted consideration,and by her association with Matri - Malanti (Mama) and Kechai-Khaiti, a new powerful goddess Ugratara began to play a very important role over the mass mind." R.M. Nath, **The Background of Assamese Culture**, p.69.

[১৭] কোষেশ্বৰ বৰুৱা, **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, প্ৰথম প্ৰকাশ, ২০০০, পৃঃ ৩৮।



আগত মানুহ বলি দিছিল। চুতীয়া ৰাজ্য আহোমৰ অন্তৰ্ভূক্ত হোৱাৰ পিছতো দেউৰীসকলে তেওঁলোকৰ ৰীতি পৰম্পৰা চলাই নিয়াৰ অনুমতি পায়।"[১৮]

চুতীয়া পুৰোহিত দেউৰীসকলে বিশ্বাস কৰে যে মহাশক্তিৰ অধিকাৰী পুৰুষ-প্ৰকৃতিয়ে হ'ল কুণ্ডি-মামা। এই কুণ্ডি-মামাৰ অন্য নাম গিৰা-গিৰাছী বা বুঢ়া-বুঢ়ী, তেওঁলোকৰ পুত্ৰ হ'ল পিচাডেমা বা বলিয়াবাবা আৰু কন্যা হ'ল পিশ্বাচিডেমা বা তাম্ৰেশ্বৰী। দেউৰীসকলে শৌৰ্য, বীৰ্য, ঐশ্বৰ্য, বিভূতি, দীৰ্ঘায়ু, সু-স্বাস্থ্য কামনাৰে, আৰু লগতে অপমৃত্যু ভয়-ব্যাধি নিবাৰণৰ অৰ্থে তাম্ৰেশ্বৰী মাইৰ শক্তিপূজাৰ প্ৰচলন কৰিছিল।[১৯] দেউৰীসকলৰ তিনিটা খেলৰ দিবঙীয়া সকলে কুণ্ডিমামাক, টেঙাপনীয়া-সকলে বলিয়া বাবা আৰু বৰগঞা খেলে পিশ্বাচিডেমা (কেঁচাইখাঁতী)ক সুকীয়াকৈ তিনিখন দেৱালয়ত পূজা কৰিছিল। এই তিনিখন দেৱালয়ৰ উপৰিও মূৰ্ত্তি ৰূপত পূজা নকৰা অন্য এখন দেৱালয় হ'ল- পাটৰ শাল। দেউৰী পুৰোহিতে প্ৰকৃত পূজাৰ সাতদিনৰ আগৰে পৰা মন্ত্ৰৰ দ্বাৰা দেৱীক আহ্বান কৰিছিল। আটাইকেইখন দেৱালয়ৰ পুৰোহিত পাটৰশালত সমবেত হৈ দেৱ-দেৱীৰ জাগৰণ, নিয়ন্ত্ৰণ সম্পাদন কৰিছিল। ব'হাগ বিহুৰ সময়ত কৰা পূজা উৎসৱত দেও-পূজা কৰিবলৈ আৰৱৰ নাম গোৱা হৈছিল -

"গোৰতে গোৰোহা হাজোত ককাঁলি
পাট সদিয়াত মূৰে কিনা,
সদায় বিৰাজে সতীৰ পৱিত্ৰ
চৰণ কমল তাতে কিনা।
সদিয়া ৰাজ্যতে চাৰিশাল গোসাঁনী
দেউৰীয়ে সদা পূজে কিনা।"

কেঁচাইখাঁতীৰ মন্দিৰলৈ দেউৰী পুৰোহিতৰ বাহিৰে ৰজা-ব্ৰাহ্মণ-প্ৰজাৰ প্ৰৱেশ নিষিদ্ধ আছিল। সংস্কৃত গন্ধী, সুৰীয়া মাতৰ বীজমন্ত্ৰৰ ধ্বনিত গোসাঁনীয়ে থিত দিয়ে, পূজা লয়, পূজা দিয়ে।[২০] গোসাঁনীৰ জাগৰণ, স্থিতিলাভ, পূজা সম্পাদন, সমাজৰ কল্যাণ সাধনৰ বাবেই 'বীজমন্ত্ৰ'ৰ ৰচনা কৰা হৈছিল।

বিভিন্ন সময়ত অন্য সম্প্ৰদায়ে দেউৰীসকলক বিভিন্ন নামেৰে নামকৰণ কৰিছিল।

---

[১৮] "The religion of the Chutiyas was a curious one. They worshipped various forms of Kali with the aid, net of Brahmans, but of their priests or Deoris. The favourite from in which the worshipped this deity was that of Kesai Khati, 'the eater of raw flesh', to whome human sacrifices were offered. Affter their subgation by the Ahoms, the Deoris were permitted to continue their ghastly riles; but they were usually given for the purpose, criminals who had been sentenced to capital punishment." (Gait, **A History of Assam**, second edition, 1926, p.42

[১৯] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, ১৯৬৪, পৃঃ ৯-১০

[২০] ঐ, পৃঃ ১০৫

বড়োসকলে তেওঁলোকক 'জিমচায়া', কছাৰীসকলে 'স্বৰ্তিয়া', আহোমসকলে 'টিউৰা', চিংফৌসকলে 'দুমছা', মিচিমিসকলে 'দেউৰা' বুলিছিল।[২১] কেঁচাইখাঁতী পূজা আৰু গিৰা গিৰাচীৰ পূজা বড়ো-কছাৰীসকলেহে সদিয়াত স্থাপন কৰিছিল বুলি কিছু লেখক-গৱেষকে মত পোষণ কৰে।[২২] কেঁচাইখাঁতী মন্দিৰ থকা এই সদিয়া কছাৰী-চুতীয়া উভয়ৰে ক্ষেত্ৰত শাসনৰ আগপিচ হ'লেও ই উপাসনাৰ এক সন্মিলিত স্থান হৈ পৰে।

কামাখ্যা মন্দিৰৰ অনুকৰণত অসমৰ পূব প্ৰান্তৰৰ দিক্কৰবাসিনী পীঠত গঢ়ি উঠিছিল তাম্ৰেশ্বৰী মন্দিৰ। বুকানন হেমিল্টনে সেয়েহে এই মন্দিৰক 'The Eastern Kamakhya' অৰ্থাৎ 'পূবৰ কামাখ্যা' বুলি অভিহিত কৰিছে। ইংৰাজ গৱেষক কৰ্ণেল ডেল্টনে লিখিছিল - "এই থানত পূৰ্বে চুতীয়াসকলে কোনো আদিম দেৱতাৰ নামত নৰবলি আগবঢ়াইছিল আৰু এই দেৱতাকে পিছত হিন্দুৰ দেৱীৰ সৈতে অন্তৰ্ভূক্ত কৰা হ'ল।"[২৩] তাম্ৰেশ্বৰী মন্দিৰৰ নিৰ্মাণ সম্পৰ্কে দেউৰীসকলৰ মাজত থকা এটি কিংবদন্তি হ'ল - এবাৰ গোসাঁনীয়ে ভীষ্মক ৰজাৰ উপৰিপুৰুষ পুৰুষো চুতানক সপোনত আহি নাৰী ৰূপে দেখা দিলে। ৰজাক পৰীক্ষা কৰিবলৈ নাৰীয়ে একে ৰাতিৰ ভিতৰতে তামৰ চালেৰে নিৰ্মিত এক দেৱালয় আৰু লগতে নৈৰ ঘাটৰ সৈতে সংলগ্ন খট্‌খটি নিৰ্মাণৰ বিধান দিয়ে। যদি ৰজাই কুকুৰাই ডাক দিয়াৰ পূৰ্বে নিৰ্মাণ কাৰ্য সমাপ্ত কৰিব পাৰে, তেন্তে গোসাঁনী ৰজাৰ শৰণাগত হ'ব। অন্যথা ৰজাই গোসাঁনীৰ শৰণাগত হ'ব লাগিব। সপোনৰ আজ্ঞানুসৰি ৰজাই কাৰিকৰৰ হতুৱাই দেৱালয় নিৰ্মাণত আগবাঢ়িল। নিশাৰ ভিতৰতে নিৰ্মাণ কাৰ্য শেষ কৰাৰ আগমুহূৰ্ত্তত গোসাঁনীয়ে মায়া কুকুৰাৰ সৃষ্টি কৰি ডাক দিয়ালে। ফলত ৰজাই সেই দেৱীক আৰাধ্যা হিচাপে পূজা কৰিবলগীয়া হ'ল।[২৪]

তাম্ৰেশ্বৰী মন্দিৰৰ ক্ষেত্ৰত সঘনে প্ৰচলিত কিংবদন্তিটো হ'ল - এসময়ত গোসাঁনীয়ে দিবং নৈত শিলৰ ৰূপ লৈ উপঙি আছিল। কুণ্ডিল ৰজাই সকলো প্ৰজাকে আহি সেই শিল তুলি আনিবলৈ আদেশ কৰিলে। কিন্তু হিন্দুসকলে কোনো প্ৰকাৰে সেই শিলা লৰাব নোৱাৰিলে। পিছত চুতীয়াসকলৰ চাৰিজন লোকে অতিশুদ্ধভাৱে মাতৃক স্তুতি-নতি কৰাত মাতৃ নিজে পাতল হ'ল। চুতীয়াসকলে সভক্তিৰে শিলাৰূপী মাতৃক দোলাত তুলি তাম্ৰেশ্বৰী মন্দিৰত স্থাপন কৰিলে আৰু দেৱীক পূজা পাতল কৰাসকল আৰু তেওঁলোকৰ বংশধৰসকলেই তাম্ৰেশ্বৰী মন্দিৰকে ধৰি চাৰি দেৱালয়ৰ পুৰোহিত দেউৰী হ'ল। এই দেউৰীসকলে দেশ আৰু ৰজাৰ মঙ্গলৰ উদ্দেশ্যে শক্তিপূজাৰ

[২১] পদ্ম চচাৰি, 'জিম'চায়াঁ - ঐতিহাসিক ৰূপৰেখা', **অসমীয়া প্ৰতিদিন** (শনিবৰীয়া এনাজৰী), ৯ এপ্ৰিল ২০০৫ খ্ৰীঃ

[২২] ভৱানন্দ বুঢ়াগোহাঞিঃ, **শদিয়াৰ বুৰঞ্জী**, পৃঃ ৮

[২৩] **Notes on the Chutiyas of Upper Assam** by E.T. Dalton, appended to W.B. Brown, **Deori Chutiya Grammar**, 1895, p. 75

[২৪] ড° নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, সাহিত্য প্ৰকাশ, দ্বিতীয় প্ৰকাশ, ১৯৮৯, পৃঃ ২২২।



পৰম্পৰা অক্ষুণ্ণ ৰাখে।[২৫] কোনো কোনো প্ৰবাদত কুণ্ডিল ৰজা জনক চুতীয়া ৰজা ৰত্নধ্বজপাল বুলি পোৱা যায়।

১৭৯৩ খ্ৰীঃত খাম্‌তি বিদ্ৰোহৰ ফলত তাম্ৰেশ্বৰী মন্দিৰ পৰিত্যক্ত হৈ পৰে। এই ভগ্ন দেৱালয়ৰ বিষয়ে থকা প্ৰথম লিখিত বিৱৰণ ব্ৰাউনৰ ৰচনাত পোৱা যায়। "দীঘ-প্ৰস্থ সমান মন্দিৰটোত গজালেৰে সংলগ্ন শিলৰ বেৰ আছে। এসময়ত মন্দিৰৰ চালখন তামৰ আছিল যদিও বৰ্তমান ভগ্নপ্ৰায়। দীঘ আৰু প্ৰস্থ ৮ ফুট জোখৰ মন্দিৰৰ মেৰটো চাৰে-চাৰি ফুট ডাঠ, ইয়াৰ চাৰিওফালে ২০০ ফুট প্ৰস্থৰ ইটাৰ দেৱাল গথা আছে।"[২৬]

১৯৫০ চনৰ ১০ মে' তদানীন্তন ৰাজনৈতিক বিষয়া লক্ষেশ্বৰ শৰ্মাই তাম্ৰেশ্বৰী মন্দিৰ ভ্ৰমণ কৰি লিখিছে - "চুতীয়াসকলে তামৰ ঘৰৰ মন্দিৰত যোনি পূজা কৰাটোলৈ চাই তিৰ্বত-চীনা মানুহৰ লগত সাংস্কৃতিক বিনিময় ঘটিছিল বুলি ধাৰণা হয়।[২৭] এই মন্দিৰত কেঁচাইখাঁতীৰ সন্তুষ্টিৰ অৰ্থে নৰবলি প্ৰচলন আছিল। ডেল্টনে উল্লেখ কৰিছে যে মন্দিৰটোৰ পশ্চিম দেৱালৰ ওচৰত নৰবলিৰ উদ্দেশ্যে তিনি-কোণীয়া শিল সজ্জিত আছিল। মৃত্যুদণ্ডৰে দণ্ডিতসকলক বলি হিচাপে লোৱা হৈছিল। আগেয়ে বলি নিৰ্বাচনৰ কাৰণে এটা বিশেষ খেল গঠন কৰা হৈছিল। ইয়াৰ নাম আছিল 'ষাড়ৰ খেল'। এই খেলত ব্ৰাহ্মণ, ৰজাৰ পৰিয়াল আৰু নিম্ন জাতৰ মানুহক অন্তৰ্ভূক্ত কৰা নহৈছিল। বলিজন নিৰ্ঘূণী হ'ব লাগিছিল আৰু আনকি এখন কাণ ফুটা কৰা লোককো বলিৰ বাবে উপযুক্ত বুলি গণ্য নকৰিছিল। এই ষাড়ৰ খেলে ৰজাক কৰ-কাটল দিয়াৰ পৰা ৰেহাই পাইছিল।[২৮]

স্বৰ্গীয় ৰজনীকান্ত বৰদলৈৰ মতে, তিৰোতা আৰু নিম্নজাতৰ মানুহক বলি হিচাপে আযোগ্য বুলি বাদ দিয়াত তাম্ৰেশ্বৰী মন্দিৰত চুতীয়া জাতিৰ মানুহকে স্বজাতি দেউৰীয়ে

[২৫] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৪৯-৫০; নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, পৃঃ ২২২।

[২৬] **Notes on the Chutiyas of Upper Assam** by E.T. Dalton, appended to W.B. Brown, **Deori Chutiya Grammar**, 1895, p. 76

[২৭] লক্ষেশ্বৰ শৰ্মা, **মিচিমি পাহাৰৰ বন শিঙা**, চিলং, ১৯৬৪, পৃঃ ১৩০।

[২৮] .... near the grand entrance in the western wall is a small stone tripod. Here human sacrifices were yearly offered till a very recent date; but latterly the Ahom kinga gave for the purpose malefactors who had been sentenced to capital punishment. Suitable victims were not, however, always to be obtained of this description; and then a particular khel or tribe of the king's subjects were bounded to provide one, for which they had certain privileges and immunities accorded to them, such as being exempted from the payment of ferry and market duties; and were thence called 'Sarh', or free. For it was necessary that the victims to be immolated should be of pure caste and perfect from, the slightest blemish or mutilation even the boring of an ear, rendering them unfit to be offered to the Gosaini, or goddess. Brahmans and members of the royal family were exempted as a privilege; Doms, Haris, Musalmans, and women were excluded as unfit.-W.B. Brown, **An Outline Grammar of the Deori Chutiya language**, p. 76.

আমানিয়াচ মাৰ্চিলেনিয়াচ (Ammianus Marcellinus)য়ে চেৰিকা দেশৰ ভৌগোলিক বৈশিষ্ট্য, আয়তন, উৎপন্ন বস্তু আৰু অধিবাসীসকলৰ বিষয়ে কিছু কথা কৈছে। তেওঁ উল্লেখ কৰা অনিভ (Anniva) সম্ভৱতঃ টলেমীৰ অন্নুবি, নাজাভিচিয়ান (Nazavicium) সম্ভৱতঃ নগা পাহাৰ আৰু অস্মিৰ (Asmira) সম্ভৱতঃ মিৰি পাহাৰ। আমানিয়াচে চেৰিকা দেশৰ পৰা পাট কাপোৰৰ লগতে জন্তুৰ চাল, লোহা, কস্তুৰী আৰু গড়ৰ খড়গ ইত্যাদি অনান্য দেশলৈ ৰপ্তানী হৈছিল বুলি লিখিছে।[৩৬] প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে চেৰিকা দেশখনক উজনি অসমৰ লগত চিনাক্ত কৰিছে।[৩৭] পূৰ্বে উল্লিখিত লেখক দুজনৰ বৰ্ণনা অনুসৰিও এই দেশ মিৰি, মিচিমি, অকা, আবৰ পাহাৰে পৰিবেষ্টিত আছিল। ষ্ট্ৰেবো (Strabo) নামৰ গ্ৰীক লেখকজনৰ মতে চেৰিকা দেশত হাতী পোৱা গৈছিল।[৩৮] হ'ৰেচৰ (Horace) মতে আকৌ চেৰিকা দেশৰ মানুহবিলাক ধেনু-কাঁড় মৰাত বৰ পাকৈত আছিল।[৩৯] এইবিলাক বিৱৰণৰপৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে প্ৰাচীন কালত অন্তিম পূব প্ৰান্তত অৱস্থিত চুতীয়াসকলৰ বিদৰ্ভ ৰাজ্যখন প্ৰাক্-ঐতিহাসিক যুগত গ্ৰীক আৰু ৰোমানসকলৰ মাজত চেৰিকা নামেৰে পৰিচিত আছিল।

খ্ৰীষ্টীয় প্ৰথম শতিকাত অনামী গ্ৰীক লেখক এজনৰ সুবিখ্যাত গ্ৰন্থ **Periplus of the Erythrean Sea**ত পুৰণি অসমৰ অন্যান্য জনগোষ্ঠীৰ লগতে চেচাটিয়া (Sesatae) বুলি এজাতি মানুহৰ উল্লেখ আছে।[৪০] এই চেচাটিয়া শব্দই চুতীয়াসকলক বুজাইছিল যেন লাগে। এইবোৰ কথাই প্ৰমাণ কৰে যে চুতীয়াসকলৰ ঐতিহ্য অতি পুৰণি আৰু অতি প্ৰাচীন কালতে তেওঁলোকে সদিয়াক কেন্দ্ৰ কৰি এখন ৰাজ্য গঢ়ি তুলিছিল।

সৌমাৰপীঠৰ পূৰ্বভাগত যোল্ল শতিকাৰ আগভাগলৈকে চুতীয়াসকলে ৰাজত্ব কৰিছিল। ইয়াৰ দক্ষিণ-পূব কোণত পূবে চাফ্ৰাই নদী আৰু পশ্চিমে ব্ৰহ্মপুত্ৰক সীমা কৰি মৰাণসকলে আৰু উত্তৰে দিচাং আৰু দক্ষিণে দিখৌ নদীক সীমা কৰি বৰাহীসকলে তেৰ শতিকাৰ আগভাগত আহোমসকল আহিবৰ সময়ত শাসন কৰি আছিল।[৪১] দক্ষিণপাৰে দিখৌ নদীৰপৰা কপিলীৰ পূব অঞ্চলত কছাৰীসকলৰ ৰাজ্য আছিল। ইয়াৰ উপৰি এই অঞ্চলতে তিৱা (লালুং), কাৰ্বি (মিকিৰ) আদি জনজাতি সকলৰো বসতি আছিল। ১৫২৪ খ্ৰীঃত চুতীয়া ৰাজ্য জয় কৰাৰ পিছতে আহোমসকলে কছাৰীসকলকো প্ৰথমে ধনশিৰি উপত্যকা আৰু পিছলৈ বৰাক উপত্যকালৈ হুঁহকি যাবলৈ বাধ্য কৰে। ইতিমধ্যে

[৩৬] *ibid.*
[৩৭] *ibid.*, p.32.
[৩৮] *ibid.*
[৩৯] cf. *ibid.*, pp.31f.
[৪০] *ibid.*, p.31.
[৪১] 'Borgohain Vamsavali', **Lik-Phan-Tai**, vol.i., 1966, p.90.



বাৰ শতিকাৰ শেষৰ ফালে পুৰণি কামৰূপ ৰাজ্যৰ পতন ঘটি ইয়াৰ ভগ্নাৱশেষত কামৰূপ কমতা বা কমতাপুৰ নামৰ এখন নতুন ৰাজ্য গঢ়ি উঠিছিল। এই কমতাপুৰ ৰাজ্যতে যোল্ল শতিকাৰ আৰম্ভণিত কোচসকলে তেওঁলোকৰ ৰাজ্য প্ৰতিষ্ঠা কৰি বৰ্তমানৰ পশ্চিমবংগৰ কোচবিহাৰ আৰু উত্তৰে নেপাল-ভূটানৰ সীমা পৰ্যন্ত এই ভূখণ্ড অধিকাৰ কৰি লৈছিল। কমতাৰ ৰজা দুৰ্লভনাৰায়ণ (আনুঃ ১৩৩০-১৩৫০) আৰু ইন্দ্ৰনাৰায়ণ (আনুঃ ১৩৫০-১৩৬৫) আৰু কোচৰজা নৰনাৰায়ণে অসমৰ সাহিত্যিক আৰু সাংস্কৃতিক জগতলৈ বহুমূলীয়া অৱদান আগবঢ়াই গৈছে। নৰনাৰায়ণে (১৫৪০-১৫৮৭) তেওঁৰ ভাতৃ চিলাৰায়ৰ সহযোগত ক্ষণস্থায়ীভাৱে হ'লেও উত্তৰ-পূৰ্বাঞ্চলৰ এক বুজন অংশত কোচ আধিপত্য বিস্তাৰ কৰিছিল। উজনিৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুতীয়া আৰু কছাৰী ৰাজ্যই সামৰি নোলোৱা অংশত ভূঞা নামৰ এক শ্ৰেণীৰ জমিদাৰে শাসন কৰিছিল। নামনিৰ ব্ৰহ্মপুত্ৰ উপত্যকাতো ভূঞাসকলৰ প্ৰতিপত্তি আছিল। নামনিৰ ভূঞাসকলক দমন কৰিয়ে বিশ্বসিংহই ১৫১৫ খ্ৰীঃত কোচ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ভূঞাসকলৰ সৰহভাগেই আছিল কায়স্থ বা কলিতা জাতিৰ। শংকৰদেৱকে প্ৰমুখ্য কৰি মাধৱদেৱ, গোপালদেৱ, অনিৰুদ্ধদেৱ আদি কেইবাজনো ভক্তি ধৰ্মৰ প্ৰচাৰকৰ ভূঞা পৰিয়ালতে জন্ম হৈছিল। অৱশেষত এই ভিন্ ভিন্ সৰুসুৱা ৰাজনৈতিক শক্তিবিলাকক পৰাভূত কৰি আহোমসকলে এখন একত্ৰিত আৰু পৰাক্ৰমী ৰাজ্য গঠন কৰিছিল, যাৰ নাম আছিল অসম। কেৱল ভৈয়ামৰ ৰাজনৈতিক শক্তিবিলাককে নহয়, দাঁতিকাষৰীয়া পাহাৰীয়া অঞ্চলবিলাকতো আহোম ৰজাসকলে নিজৰ কৰ্তৃত্ব স্থাপন কৰিছিল। প্ৰকৃততে আহোমসকলৰ দিনতে অসম নামৰ এখন ৰাজ্যৰ বাস্তৱ ধাৰণাটোৰ জন্ম হয় আৰু দাঁতি-কাষৰীয়া পাহাৰীয়া জনজাতিসকলৰ লগতো আনুষ্ঠানিকভাৱে বন্ধুত্বৰ সূত্ৰপাত হয়। পাহাৰ-ভৈয়ামৰ সমগ্ৰ জাতি-জনজাতিৰ মিলিত শক্তিক লৈ আহোমসকলে প্ৰৱল-প্ৰতাপী মোগল আক্ৰমণ বাৰে বাৰে প্ৰতিহত কৰিব পাৰিছিল আৰু ১৬৭১ খ্ৰীঃৰ শৰাইঘাটৰ নৌ যুদ্ধত লাচিত বৰফুকনৰ নেতৃত্বত মোগল সেনাবাহিনীক বিষমভাৱে ঘটুৱাই মানাহ নদী পৰ্যন্ত অসমৰ পশ্চিম সীমা বিস্তাৰিত কৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি ব্ৰিটিছৰ হাতলৈ অসম নোযোৱা পৰ্যন্ত মানাহ নদীয়ে ইয়াৰ পশ্চিম সীমা হৈ আছিল।

মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে জুৰুলা কৰা অসম ৰাজ্য যেতিয়া ব্ৰিটিছৰ হাতলৈ গৈছিল তেতিয়া ইয়াত কোনো ধৰণৰ ৰাজনৈতিক ঐক্য নাছিল। ঔপনিবেশিক স্বাৰ্থৰে ব্ৰিটিছে অসম শাসন কৰি প্ৰজাবিলাকক বিভিন্ন প্ৰকাৰে শোষণ কৰিছিল। তৎস্বত্বেও ব্ৰিটিছৰ শাসনকালতে পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণৰ ফলত এখন বৰ অসমৰ সৃষ্টি হৈছিল আৰু স্বাধীনতা আন্দোলনত পাহাৰ-ভৈয়ামৰ সকলো লোকে সমানে অংশ গ্ৰহণ কৰিছিল। স্বাধীনতা উত্তৰ কালত ৰাজ্য

বলি দিয়াৰ ব্যৱস্থা কৰাই লৈছিল। এই মন্দিৰত পূজা দিবলৈ তিব্বত, চীন, হিন্দুস্তান সকলো দেশৰে মানুহ আহিছিল। পৰ্বতীয়া আবৰ, মিৰি, চিংফৌ আদি জনজাতিয়েও এই মন্দিৰক ভয়-ভক্তিৰে মানিছিল।[২৯]

বলিৰ কাৰণে নিৰ্বাচন কৰা ব্যক্তিজন নিখুঁত শৰীৰৰ অধিকাৰী হোৱাৰ লগতে অবিবাহিত চফল ডেকা হ'ব লাগিছিল। কাৰণ এনে বলিহে কেঁচাইখাঁতী দেৱীৰ বাবে উপযুক্ত বুলি গণ্য কৰা হৈছিল। 'যাড়ৰ খেল'ৰ বলিৰ বাবে সাজু থকা নিপোটল ডেকাই চুলি কাটিব নোৱাৰিছিল, অখাদ্য-উচ্ছিষ্টও ভক্ষণ কৰিব নোৱাৰিছিল।[৩০] দেউৰীসকলৰ বাহিৰে মন্দিৰৰ অন্তঃকক্ষলৈ অন্য কোনো লোকক সোমাবলৈ দিয়া নহৈছিল। দেউৰী পুৰোহিতসকলেই বলিকাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিছিল। বলিৰ সাত দিনমান থকাৰ আগৰে পৰা বলি দিব খোজা ডেকাজনক মন্দিৰৰ এটা কোঠাত মাহ হালধিৰে নোৱাই-ধুৱাই ৰখা হৈছিল। বলিয়ে হয়তো এই কেইদিনত ভীতিগ্ৰস্থ হৈ অনাহাৰে থাকিছিল,কিন্তু তেওঁ খাবলৈ বিচাৰিলে মাহ-প্ৰসাদ, ভোগৰ বাহিৰে অন্য কোনো গুৰু-ভোজন দিয়া নহৈছিল। অন্তিম মুহূৰ্তত বলিয়ে আত্মীয় স্বজনক দেখা কৰিব বিচাৰিলে সেইসকলক সাক্ষাতৰ ব্যৱস্থা কৰা হৈছিল।

বিশেষ পূজাৰ দিনা বলিক ভালদৰে নোওৱা-ধোওৱা হৈছিল। তাৰ পিছত তেওঁক সুন্দৰ সাজ-পোছাক, আ-অলঙ্কাৰ পৰিধান কৰাই প্ৰজাসকলৰ সন্মুখত প্ৰদৰ্শন কৰা হৈছিল। লগে লগে সমান্তৰালভাৱে বাদ্য-বজাই, প্ৰজাসকলে হৰ্ষধ্বনি দি এই 'মাংগলিক মুহূৰ্তক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছিল। ইয়াৰ পিছত বৰদেউৰীয়ে বলিক মন্দিৰৰ আঁতৰত থকা বলিশাললৈ আঁৰ-বেৰ দি লৈ গৈছিল। তিনিকোণীয়া শিলৰ দ্বাৰা নিৰ্মিত কুণ্ড এটাকে বলিশাল হিচাবে ব্যৱহাৰ কৰা হৈছিল। এই স্থানলৈ বলি দিয়া মুহূৰ্তত কোনো লোকক যাবলৈ অনুমতি দিয়া নহৈছিল। বৰদেউৰীয়ে বলিৰ আ-অলঙ্কাৰ, সাজ-সজ্জা খুলি দিছিল। নিৰাভৰণ বলিক পূজা মন্ত্ৰধ্বনি, শংখ-ঘন্টাৰ শব্দৰ মাজতে দেউৰীয়ে এনেদৰে শিৰচ্ছেদ কৰিছিল যাতে মূৰটোৰ বাহিৰে গা অংশটো কুণ্ডত লুকাই পৰে। এই মূৰটো নি কেঁচাইখাঁতীৰ চৰণত অৰ্পণ কৰা হৈছিল।[৩১]

চুতীয়া ৰাজ্যত পৰম্পৰাগতভাৱে চলি অহা এই নৰবলি আহোম স্বৰ্গদেৱ গৌৰীনাথসিংহৰ দিনলৈকে চলিছিল। চুতীয়া ৰাজ্যৰ পতনৰ পিছত সদিয়াখোৱা গোঁহাইৰ অধীনলৈ অহা তাম্ৰেশ্বৰী মন্দিৰত কেঁচাইখাঁতীৰ পূজা-বিধান আগৰ দৰেই চলিছিল। অৱশ্যে আহোম শাসনকৰ্তাই এই গোসাঁনীশালত নিজে পূজা-অৰ্চনা কৰা নাছিল। সদিয়াখোৱা গোঁহাইৰ পৰামৰ্শ অনুযায়ী গোসাঁনী পূজাৰ সকলো আয়োজন চলিছিল

[২৯] ৰজনীকান্ত বৰদলৈ, 'শদিয়া ৰাজ্যৰ পুৰণি তত্ব', বাঁহী

[৩০] নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, পৃঃ ২২০।

[৩১] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৬৯-৭০।

[৩২] ভৱানন্দ বুঢ়াগোহাঞিও, **শদিয়াৰ বুৰঞ্জী**, পৃঃ ৭২।



আৰু বিষয়াজনৰ নামত উৎসৰ্গিত উপচাৰ দ্ৰব্য অন্য কাকো বিতৰণ কৰা নহৈছিল।[৩২] স্বৰ্গদেৱ গৌৰীনাথসিংহৰ ৰাজত্বকালত এই নৰবলি বন্ধ কৰা হৈছিল আৰু মানৰ আক্ৰমণত চুতীয়া পুৰোহিত দেউৰীসকলে এই মন্দিৰ পৰিত্যাগ কৰি যায়।[৩৩]

পুৰণি অসমৰ সদিয়া অঞ্চলৰ অধিষ্ঠাত্ৰী গোঁসানী দিক্কৰবাসিনীৰ থান তাম্ৰেশ্বৰী মন্দিৰৰ শক্তি-পূজা আৰু উপাসনাই এই অঞ্চলৰ চুতীয়াসকলৰ জনবিশ্বাস, ৰীতি-নীতি আৰু পৰম্পৰাৰ দিশটো অতি উজ্জ্বলভাৱে প্ৰতিপন্ন কৰে। ড° মহেশ্বৰ নেওগৰ মতে, "এই থানত পূৰ্বতে চুতীয়াসকলে কোনো আদিম দেৱতাৰ নামত নৰবলি দিছিল আৰু সেই দেৱতাক পিছত হিন্দুৰ লগত চামিল কৰা হ'ল। মন কৰিবলগীয়া, ইয়াৰ পুৰোহিতসকল ব্ৰাহ্মণ নহয়, চুতীয়া দেউৰীহে। অৱশ্যে, কামাখ্যাৰ থানতো পূৰ্বে গাৰোসকলেহে কুকুৰা-গাহৰি দি পূজা-সেৱা চলাইছিল বুলি প্ৰবাদ আছে।"[৩৪]

দেৱী মহামায়াৰ অন্য এক স্থানীয় ৰূপ হ'ল মহাকালিকা বা কিৰাতনী। এই কিৰাতনী প্ৰদত্ত সোণৰ মেকুৰী আছিল চুতীয়া ৰাজ্যৰ সমৃদ্ধিৰ প্ৰতীক। সোণৰ-মেকুৰীৰ প্ৰাপ্তিক অলৌকিকতা প্ৰদান কৰিবলৈয়ে কিছুমান জনবিশ্বাসো প্ৰচলিত আছিল। **দেওধাই অসম বুৰঞ্জী**ত স্থান পোৱা তেনে এটি কিংবদন্তি হ'ল "পূৰ্বে চুতীয়া ল'ৰাই ম'হ ৰাখোতে এক দিনা দেৱীয়ে কিৰাতনীৰূপে বনৰ মাজত দেখা দিলে। গৰখীয়াক বোলে, 'মোক তোৰ শুকুলা ম'হটি দে। তোক মই এক শক্তি দিম। তাৰ প্ৰভাৱে ৰজা হ'বি।' সি বোলে 'মই দিব নোৱাৰোঁ।' দেৱীয়ে বোলে, 'সাক্ষাতে নোৱাৰ, মনেৰে দে'। পাছে মনেৰে দিলে। হাস্য কৰি দেৱীয়ে বোলে 'মই মহাকালিকা, কালি প্ৰভাতে তোৰ ঘৰলৈ যি পোহাৰী আহে, যি মাছ দিয়ে, সেই মাছ চৰুত দি ঢাকন দি থবি। পৰগুলৈ চাবি। সেই শক্তিয়েৰে ৰাজখাবি। অন্যক নিদিবি। গুপ্তে বলি-বিধান দি, পূজা কৰি থাকিবি। যি কালত লোকক দিবি সেইবেলা মই তোক এৰিম।' এই বুলি দেৱী অন্তৰ্ধান হ'ল। পিছে বিস্ময় মানি ঘৰলৈ আসি আনাক দিনা প্ৰভাতে পোহাৰীৰ মাছ পাই ঢাকন দি থ'লে। পিছ দিনা চৰুৰ ঢাকন গুচাই চালে - সোণৰ বিড়ালী দুটি পালে, দণ্ড খাটো পালে। ছোট হিন্দুৱানৰ খুন্তৱান ৰজা হ'ল। শদিয়াত সিটো ৰজা অবাক ৰূপে থাকে।"[৩৫]

দেৱী মহাকালিকা লোক সমাজৰ কল্পনাত অলৌকিক গুণসম্পন্না এক অনুকৃতি। ৰাজশাসনৰ সুস্থিৰতা, শ্ৰীবৃদ্ধিৰ বাবে দেৱীক নানা উপচাৰেৰে সন্তুষ্ট কৰাৰ প্ৰয়োজন। সদিয়াৰ চুতীয়া ৰাজ্যত শক্তিপূজাৰ পৰম্পৰাত ৰাজশক্তিয়ে পৃষ্ঠপোষকতা কৰিছিল।

[৩৩] **The Mother Goddess Kamakhya**, ...this horried sacrifice was discontinued during the reign of king Gaurinath Singha, when the Chutiya priest hurried by the Burmese invaders abandoned their ancient possessions in the vicnity of the temple.", p. 62

[৩৪] ড° মহেশ্বৰ নেওগ, **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, পৃঃ ৭৮, ৭৯

[৩৫] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২০১

সেই পৰম্পৰা অনুসৰিয়ে মহাকালিকাৰ তুষ্টিৰ অৰ্থে সভক্তিৰে 'শুকুলা ম'হ' আগবঢ়াইছিল 'চুতীয়া ল'ৰাই'। চুতীয়া ৰজা বীৰপালেও অনুৰূপ ধৰণে সোণৰ মেকুৰী লাভ কৰাৰ কিংবদন্তি সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত **দেওধাই অসম বুৰঞ্জী**ত 'চুটিয়াৰ কথা'ত পোৱা যায়। কুবেৰে বীৰবৰক ৰাতি স্বপ্ন দেখালে - 'মোৰ বীৰ্য্যে ৰূপৱতীৰ গৰ্ভত শুভক্ষণে পুত্ৰ উপজিব। সেয়ে ৰাজ্যত ৰজা হব। তোৰ সমস্তো সম্পত্তি হব। ৰূপৱতীকো তই নশপিবি, সন্তমে ৰাখিবি, তায়ো সন্তমে ৰবি। নতুন ঘৰ কৰি ৰূৱতীক থবি। যি গছৰ তলত ফাগুনৰ কৃষ্ণ চতুৰ্দ্দশীত দেওকৈ মোক উপসা কৰ, কাইলৈ প্ৰাতহ কালে সেই গছৰ তললৈ যাব, যি বস্তু পাব তাকে সেৱা কৰি থাকিবি। যি কালত অনাদৰ, পৰহস্ত হই, সেই কালত তোৰ পুত্ৰৰ ছত্ৰভঙ্গ হব, ৰাজ্যকো পৰে লব, দেশান্তৰী হব'।[৩৬] সোণৰ মেকুৰীৰ উৎপত্তিৰ বিষয়ক কিংবদন্তি বা মিথক (myth) সঁচা ইতিহাস বুলিব নোৱাৰি। অৰ্থাৎ মিথবোৰ মানুহৰ জনবিশ্বাসৰ আধাৰত সৃষ্টি হোৱা। সেয়েহে এনে মিথ বা কিংবদন্তিৰ আঁৰত ইতিহাসৰ ৰূপকাত্মক দিশো প্ৰচ্ছন্ন হৈ থাকিব পাৰে। ৰাজ্যৰ সমৃদ্ধি আৰু শান্তিৰক্ষা কৰাটোৱে আছিল অতীতৰ ৰজা আৰু প্ৰজাৰ প্ৰধান লক্ষ্য। 'সোণৰ মেকুৰী' আছিল ৰাজ্যৰ সমৃদ্ধি আৰু গৌৰৱৰ প্ৰতীক।

কুবেৰক চুতীয়াসকলে ৰাষ্ট্ৰদেৱতা আৰু ৰক্ষক হিচাপে পূজা-অৰ্চনা কৰিছিল। কুবেৰ প্ৰদত্ত 'ধাতুদ্ৰব্য' সোণৰ মেকুৰী, ঢাল-তৰোৱাল চুতীয়া ৰাজ্যৰ সমৃদ্ধিৰ প্ৰতীক হৈ পৰে। এই ৰাজ সম্পদক পবিত্ৰ জ্ঞান কৰি মাঘী-পূৰ্ণিমাত চুতীয়াসকলে পূজা কৰিছিল। ইয়াক দেউকুবেৰ উৎসৱ বুলি কোৱা হয়। সোণাগিৰি পাহাৰৰ ওপৰত কুবেৰৰ এটি মন্দিৰো চুতীয়াসকলে প্ৰতিষ্ঠা কৰিছিল।[৩৭]

পুৰণি ধৰ্মবিশ্বাসত চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলে শিৱকো আৰাধ্য দেৱতা হিচাপে পূজা কৰিছিল। অসমৰ জনমানসত শিৱই কৃষি দেৱতাৰ ৰূপ গ্ৰহণ কৰিছিল। বড়ো-কছাৰী সকলে শিৱক 'বাথৌ' হিচাবে পূজা কৰে। দেউৰীসকলৰ দিবঙীয়া আৰু টেঙাপনীয়া খেলে শিৱক বলিয়াবাবা, কুণ্ডিমামা ৰূপত পূজা কৰে। শিৱ-পাৰ্বতীক গিৰা-গিৰাচী বুলিও কোৱা হয়। কুণ্ডি (শিৱ) আৰু মামা (পাৰ্বতী)ক অচিন্ত্য, অব্যক্ত ব্ৰহ্মৰূপী পৰম পুৰুষ আৰু পৰমা প্ৰকৃতি হিচাপে জ্ঞান কৰা হয়। এই নিৰাকাৰ নিৰ্গুণ পৰম পুৰুষ আৰু পৰমা প্ৰকৃতিৰ অবিহনে জগত সৃষ্টি সম্ভৱ নহয়। "গতিকে 'কুণ্ডি-মামা' স্বৰূপে পুৰুষ প্ৰকৃতিয়েই হৈছে সকলো সৃষ্টি শক্তিৰ মূল। এই শক্তিয়েই জগতৰ

[৩৬] **দেওধাই অসম বুৰঞ্জী**ত 'চুটিয়াৰ কথা', পৃঃ ১৯৩।

[৩৭] "The temple of Kuvera - the Hindu god of wealth with an image of gold, adorned the hilly city on the Sonagiri hillock, and Kuver became the state God, specially when gold particts were found abundantly in the sand of the Subansiri. This was in 1194 A.D."; R.M. Nath, **The Background of Assamese Culture**, 2nd Edition, p.69.



আধাৰ, ইয়েই বিশ্বৰ বীজ স্বৰূপ।"[৩৮] আদ্য ধৰ্মত 'লিংগ' আৰু 'যোনি'য়ে পুৰুষ আৰু প্ৰকৃতিৰ প্ৰতীকী অৰ্থ বহন কৰিছিল। আৰ্য প্ৰভাৱৰ পূৰ্বৰে পৰা দেউৰীসকলৰ মাজত কুণ্ডি-মামা (পুৰুষ-প্ৰকৃতি)ৰ কল্পনাই বিৰাজ কৰিছিল। এই কল্পনা প্ৰাচীন ইজিপ্ত-চুমেৰীয় সভ্যতাৰ সৈতে প্ৰাচীন মংগোলীয়সকলৰ সাংস্কৃতিক আদান-প্ৰদানৰ ফলত গঢ়ি উঠা।[৩৯]

চুতীয়াসকলৰ পুৰণি ধৰ্ম ব্যৱস্থাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন ঘটে যোল্ল-সোতৰ শতিকাতে। শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত ভাগৱতী বৈষ্ণৱ ধৰ্ম আৰু সত্ৰৰ শৰণ লৈ চুতীয়া সমাজে 'হিন্দু চুতীয়া' হিচাবে উচ্চ হিন্দুসকলৰ দৰে ধৰ্মীয় ৰীতি-নীতি গ্ৰহণ কৰিলে। বাকী পুৰোহিত শ্ৰেণী দেউৰীসকলে পুৰণি পন্থাসমূহক পালন কৰি জড়োপাসক বা 'অশৰণীয়া' ৰূপত থাকিল। 'বৰাহী-চুতীয়া' নামৰ শাখাটোৱেও 'অশৰণীয়া' হিচাপে গাহৰি মঙহ ভক্ষণ কৰিছিল। কিন্তু ছাগলী মঙহৰ তেওঁলোকৰ মাজত প্ৰচলন নাছিল।[৪০] এই নিষিদ্ধ নিয়ম (Tabbo)ৰ আঁৰত আছিল তেওঁলোকৰ মাজত থকা এক জনবিশ্বাস। এটা ছাগলীক নিজবংশৰ ব্যক্তি হিচাবে ধৰি সেই জন্তটোৰ মৰা-সকাম, শ্ৰাদ্ধ পতাৰ বাবে বৰাহীসকলে ছাগলীৰ মঙহ খোৱা নাছিল।

আগতেই উল্লেখ কৰি অহা হৈছে, সময় আৰু যুগ সাপেক্ষে যি কোনো সমাজৰ ধৰ্মীয় বিশ্বাস আৰু পন্থাৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক প্ৰক্ৰিয়া। হিন্দু চুতীয়াসকলেও যুগ পৰিৱৰ্তন সাপেক্ষে বৈষ্ণৱ ধৰ্মৰ নিয়ম-নীতি, কঠোৰভাৱে মানিবলৈ ললে। ব্ৰাহ্মণ পুৰোহিতৰ হতুৱাই বিয়া-বাৰু আৰু মৃতকৰ শ্ৰাদ্ধ পালন কৰি নিজকে বৰ্ণ হিন্দুৰ শাৰীৰ বুলি গণ্য কৰিলে।

[৩৮] ডম্বৰুধৰ দেউৰী, দেউৰী সংস্কৃতি, পৃঃ ১০।

[৩৯] R.M. Nath, **The Background of Assamese Culture**, p.124.

[৪০] B.C. Allen, Census Report of Assam, 1901 (vol - I), Reprint Delhi, 1980, p. 126.

## লৌকিক ধৰ্মীয় বিশ্বাস

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তৰৰ কুণ্ডিল নগৰতে চুতীয়া ৰজা আৰু চুতীয়া ৰাজ্যৰ উত্থান হৈছিল বুলি ইতিহাসবিদ সকলে ঠাৱৰ কৰিছে। চুতীয়া ৰাজ্য গঠনৰ লৌকিক তাৎপৰ্য বিশ্লেষণ কৰিলে দেখা যায় যে, কুণ্ডিল সদিয়াৰ আশে-পাশে ব্ৰহ্মকুণ্ডৰ ওচৰত চুতীয়া সকলে ৰাজধানী পাতি ১৬ শ শতিকাৰ আগভাগলৈকে ৰাজত্ব কৰিছিল। এই চুতীয়া ৰজাৰ ৰাজ্যত বসবাস কৰা সকলকেই চুতীয়া বুলি কোৱা হয়। আহোম ৰজাই ১৬ শ শতিকাৰ আৰম্ভনিতে চুতীয়া ৰাজ্য নিজ ৰাজ্যত চামিল কৰাত সদিয়াৰ চুতীয়া সকল অসমৰ বিভিন্ন স্থানত সিঁচৰতি হৈ পৰে। অসমৰ বিভিন্ন স্থানত বসবাস কৰিলেও চুতীয়া সকলে বৰ্তমানলৈকে তেওঁলোকৰ পৰম্পৰাগত ধৰ্ম বিশ্বাসৰ আধাৰত কিছুমান

লৌকিক ধৰ্মীয় ক্ৰিয়াকৰ্ম কৰি আহিছে। চুতীয়া সকলে অতি প্ৰাচীন কালৰ পৰাই বিষ্ণু, শিৱ-পাৰ্বতী, কোঁচাইখাঁতী, উগ্ৰতাৰা, কালী গোঁসানীৰ পূজা-পাতল কৰি আহিছিল বুলি ইতিহাসে ঠাৱৰ কৰিছে। এই কথাৰ সত্যতা চুতীয়া সকলৰ ৰাজধানী সদিয়াত উদ্ধাৰ হোৱা তাম্ৰেশ্বৰী মন্দিৰেই প্ৰমাণ কৰে। এই তাম্ৰেশ্বৰী মন্দিৰতে চুতীয়া ৰজা সকলে দেউৰী সকলক পূজাৰী হিচাবে লৈ কেঁচাইখাঁতী পূজাৰ পূৰ্ণমাত্ৰাই ৰাজকীয় ৰূপ দিছিল আৰু চুতীয়া ৰাজ্য আহোম ৰাজ্যত চামিল হোৱাৰ পাছত চুতীয়াসকল য'লৈকে গৈছিল সেই ঠাইতে কেঁচাইখাঁতী পূজাসেৱা কৰি আহিছে। আজিও চুতীয়া বসতি প্ৰধান লখিমপুৰ জিলাৰ দেউলীয়া গাঁৱৰ হাৰ্হি দেৱালয় - ধেমাজিৰ চিলাসুঁতিৰ তাম্ৰেশ্বৰী মন্দিৰ, বৰমুঠনিৰ আইথান, বৰদলনিৰ পদুমনি আইথান আৰু নীলগোঁসানীৰ থান, লোণপানী দেৱালয়, মাঘনোৱা (ফুলবাৰী), মালিনীথান আদিত বলি বিধানসহ তাৰা, উগ্ৰতাৰা, নীলতাৰা, আৰু কেঁচাইখাঁতী গোঁসানীৰ পূজা-পাতল কৰে। চুতীয়া সকলে এই আইথান বিলাকত বিভিন্ন সময়ত ব্যক্তিগত ভাৱে বা ৰাজহুৱা ভাৱে হাঁহ, পাৰ, ছাগলী, ম'হ আদি বলি দি পূজা-পাতল কৰে। হিন্দুতন্ত্ৰৰ অন্যতম সংস্কাৰ উগ্ৰতাৰা, কেঁচাইখাঁতী, তাম্ৰেশ্বৰীৰ পূজা-পাতল দেউৰী-চুতীয়া পূজাৰী সকলৰ, আৰু চুতীয়া তথা চুতীয়া ৰাজ্যৰ এক বিশেষ সংগতি স্বৰূপে প্ৰতিফলিত হৈছিল। ইয়াতে তান্ত্ৰিক বৌদ্ধৰ মত আৰু হিন্দুতান্ত্ৰিক মতৰ অভ্যাসনৰ সংগতিও ধৰা পৰে।

আপাত দৃষ্টিত চুতীয়া সকল শাক্ত, শৈৱ আৰু বিষ্ণুৱ উপাসক হিন্দু। দৈনন্দিন, বৈষয়িক নীতি-কাণ্ঠাৰ জোখেৰে এইবোৰ প্ৰকৃততেঃ তান্ত্ৰিক। চুতীয়া সকলৰ একালৰ ভিতৰ-পকীয়া সকাম নিকামৰ বৈশিষ্ট্যৰ আধাৰ হৈছে তান্ত্ৰিক। পৰৱৰ্তী যুগত বৈষ্ণৱ মতৰ সতে ইয়াৰ সমন্বয় সাধন কৰা হ'ল। মাধৱদেৱৰ প্ৰিয় শিষ্য গোপালদেৱৰ দ্বাৰা বৌদ্ধ তান্ত্ৰিকতাৰ প্ৰভাৱ থকা চুতীয়া জনগোষ্ঠীৰ মাজত সণ্টালনিকৈ প্ৰচলিত ৰাতিসেৱা বা ভিতৰ পকীয়া সকাম ভাগ বৈষ্ণৱ পন্থাৰ ভিতৰুৱা কৰি লয়, আৰু তেতিয়াৰ পৰাই চুতীয়া সকলৰ এটা ভাগে ভিতৰ পকীয়া বা পকা পন্থী আৰু আন এটা ভাগে বৈষ্ণৱ ধৰ্ম মতৰ পূজা-পাতল সকাম-নিকাম আদি লোক বিশ্বাসৰ আধাৰত লৌকিক ধৰ্মীয় ক্ৰিয়া হিচাপে অনুষ্ঠিত কৰি আহিছে। সেই সকলকে কেঁচা পন্থী বুলি কোৱা হয়। চুতীয়া সকলে এই সকাম-নিকাম পূজা-পাতল আদি কিছুমান নিয়মীয়াভাৱে আৰু কিছুমান প্ৰয়োজন সাপেক্ষে বা কেতিয়াবা জ্যোতিষী বা মঙ্গলতিৰ বিধান অনুসৰি সম্পন্ন কৰে। এনেধৰণৰ সকাম-নিকাম বিলাকৰ কিছুমান পৰিয়াল ভিত্তিক আৰু কিছুমান ৰাজহুৱা। পকাপন্থী সকলে তেওঁলোকৰ লৌকিক ধৰ্ম্মীয় অনুষ্ঠান বিলাকত নৈবেদ্য হিচাবে চাউলৰপৰা প্ৰস্তুত কৰা সাজপানী, সিদ্ধ মাছ, কুকুৰা, গাহৰি আদিৰ মাংস, জা-জলপান আৰু ভাত-তৰকাৰী আদি ব্যৱহাৰ কৰে। আন হাতে কেঁচা পন্থী সকলে প্ৰধানকৈ মাহ-প্ৰসাদ, ফল-মূল, জা-জলপান, গুড়, গাখীৰ আৰু মাছ-মাংসৰে ভাত ব্যৱহাৰ কৰে।



দুয়ো পন্থী চুতীয়াই পুৰণি কালৰ পৰা বৰ্তমানলৈকে নিয়মিত আৰু প্ৰয়োজন সাপেক্ষে বা মঙ্গলতিৰ বিধান অনুসৰি সম্পন্ন কৰা লৌকিক ধৰ্মীয় ক্ৰিয়া-কৰ্ম বিলাক ইয়াত সংক্ষেপে আলোচনা কৰা হৈছে।

**(ক) নিয়মিতভাৱে লোক বিশ্বাসৰ আধাৰত পালন কৰা ধৰ্মভিত্তিক ক্ৰিয়া কৰ্মঃ**

**বিহু শলিতা লগোৱা বা বিহু সকাম ঃ** চুতীয়া সকলে প্ৰতিটো বিহুতে প্ৰাচীন কালৰ পৰাই এই বিহু শলিতা লগোৱা বা বিহু সকাম কৰি আহিছে। পকা পন্থীসকলে এই কৰ্মক বিহু শলিতা আৰু কেঁচা পন্থীসকলে ইয়াক বিহু সকাম বা বিহু জলপান বোলে। এই বিহু শলিতা লগোৱা বা বিহু সকাম বছেৰেকৰ বিহুৰ দিনা বা বিহুৰ দিন কেইটাত চুতীয়া সকলে তেওঁলোকৰ মৃত পূৰ্ব পুৰুষ আৰু পিতৃ-মাতৃৰ সন্তুষ্টিৰ কাৰণে অনুষ্ঠিত কৰে। এই শলিতা লগোৱা বা বিহু সকামলৈ গাঁৱৰ বুঢ়া-বুঢ়ীসকলক নিমন্ত্ৰণ জনায়। বিহু শলিতা লগোৱা বা বিহু সকামৰ দিনা গৃহস্থই পুৱাতে ঘৰ-দুৱাৰ গোবৰ মাটিৰে মচি, কাপোৰ-কানি ধুই চাফ্-চিকুণকৈ ৰাখে। চুতীয়াসকলৰ সাধাৰণতে বৰঘৰ, সাজঘৰ আৰু চ'ৰাঘৰ নামে একেলগে তিনিটা ঘৰ থাকে। বৰঘৰটো সাধাৰণতে মুকলি আহল-বহল এটা ডাঙৰ ঘৰ আৰু বাকী বিলাক কোঠালীযুক্ত। এই বৰঘৰতে বিহু শলিতা বা বিহু সকাম অনুষ্ঠিত কৰে। নিমন্ত্ৰিত ভকত সকল আহি উপস্থিত হ'লে তেখেত সকলক শ্ৰদ্ধা সহকাৰে সেৱা-সৎকাৰ কৰি সকামৰ স্থলীলৈ লৈ যায় আৰু ইংৰাজী 'ইউ' আখৰ নিচিনাকৈ আসন পাৰি বহিবলৈ দিয়ে। ভকতসকলে আসন গ্ৰহণ কৰাৰ আগতে বা কেতিয়াবা আসন গ্ৰহণ কৰাৰ পাচত সকামৰ উপকৰণ সমূহ গৃহস্থই মাজতে থৈ ভকতসকলক চমজাই দিয়ে। ভকত সকলৰ মাজৰ সাতোলা বা সাধুৰ অনুমতি সাপেক্ষে এজনে উপকৰণসমূহৰ প্ৰতি বিধৰে অলপ অলপকৈ এখন আগলি কলপাতৰ ওপৰত লৈ কাঁহৰ ডাঙৰ বটা বা শৰাইত সজাই এগছি বন্তি প্ৰজ্বলন কৰি পূৰ্বপুৰুষ সকলৰ উদ্দেশ্যে শ্ৰদ্ধাৰে আগবঢ়ায়। এই উপকৰণৰ ক্ষেত্ৰত কেঁচা পন্থীসকলে তিওৱা কেঁচা বুট, মগু, কল, কুঁহিয়াৰ, ফল-মূল আদি আৰু পকা পন্থী সকলে এটি পাত্ৰত তলে-ওপৰে কলপাতৰ ঢাকোন দি এখন কলপাতত কুকুৰা-মাংসৰ তৰকাৰী লৈ আগবঢ়াই সেৱা জনাই নিজৰ আসন গ্ৰহণ কৰে। ইয়াৰ পাচত গৃহস্থই সেৱা জনায়। সাতোলা বা বুঢ়া ভকতৰ নেতৃত্বত 'অ' হৰি, অ' ৰাম' ধ্বনি দি পূৰ্ব পুৰুষসকলৰ প্ৰতি তেখেতসকলৰ সতি-সন্ততিসকলে আগবঢ়োৱা নৈবেদ্যভাগি গ্ৰহণ কৰি তেখেতসকলক কুশলে-মঙ্গলে ৰাখিবলৈ প্ৰাৰ্থনা জনায় আৰু সেৱকীকো আৰ্শীবাদ দি পুনৰ 'অ' হৰি, অ' ৰাম' ধ্বনি দি সকামৰ আনুষ্ঠানিকতা শেষ কৰে।

কেঁচা পন্থী সকলে ভকতসকলৰ মাজৰ পৰা কোনোবা দুজনমানে উঠি শৰাই ভাঙি জা-জলপান ভাগ কৰি প্ৰথমে সাতোলাক দি পাছত ভকতসকলৰ আগে আগে

দি গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই সেৰা ধৰে আৰু ভকত সকলেও 'অ' ৰাম অ' হৰি' ধ্বনি দি জা-জলপান গ্ৰহণ কৰি ঘৰা-ঘৰি যায়গৈ। অন্যহাতে পকাপন্থী সকলৰ ভকতনী সকলে কলহৰ পৰা সাজপানী চাকি কাঁহৰ বাতিত আৰু কল পাতত মাংসৰ তৰকাৰী লৈ শাৰী পাতি এফালৰ পৰা ভকতসকলক পৰিবেশন কৰে। ভকতনীয়ে প্ৰথমে মৌখিক ভাৱে চলি অহা নাম গাই সাধুক সাজপানী পান কৰিবলৈ দিয়ে আৰু সাধুৱেও এফাঁকি নাম গাই পান কৰে। বাকী ভকতনী সকলেও ভকত সকলক এনেদৰে সাজপানী পান কৰোৱাই গৃহস্থই যদি কিবা জা-জলপান বা চাউল কঠাৰ আয়োজন কৰে তাক ভোজন কৰি ঘৰা-ঘৰি যায়গৈ।

এনেদৰে দুয়োপন্থী চুতীয়াই বিহু সকাম বা বিহু শলিতা লগোৱা প্ৰাচীন কালৰে পৰা কৰি আহিছে। বৰ্তমান অৱস্থাত এইটো দেখা গৈছে যে, বহুতো চুতীয়া লোকে নৱ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি তেখেতসকলৰ কিছুমান সকাম -নিকামত মাহ-প্ৰসাদৰ শৰাই পাতি নাম-প্ৰসঙ্গ কীৰ্ত্তন পাঠ আদি কৰি অনুষ্ঠিত কৰা আৰম্ভ কৰিছে। অন্যহাতে পকাপন্থী চুতীয়া সকলে তেখেতসকলৰ পৰম্পৰাগত নীতি নিয়মৰ আধাৰত সকাম-নিকাম বিলাক এতিয়াও কৰে।

**বছেৰেকীয়া** ঃ আত্মা- পৰমাত্মাত বিশ্বাসী চুতীয়াসকলে পিতৃ-মাতৃৰ মৃত্যু তিথিত এই সকাম অনুষ্ঠিত কৰে। এই সকামলৈ গাঁৱৰ জ্ঞাতিবৰ্গৰ উপৰিও সকলো মিতিৰ-কুটুমক নিমন্ত্ৰণ জনায়। এই সকাম আহল-বহল ঘৰ-দুৱাৰ থকাসকলে ঘৰৰ ভিতৰত আৰু অন্য সকলে চোতালত ৰভা দি পাতে। এই সকামলৈ আগদিনাই গাঁৱৰ ভকতসকলক প্ৰতি ঘৰলৈ গৈ তামোল-পান আগবঢ়াই নিমন্ত্ৰণ কৰে। এই সকামত যিহেতু ভকত আৰু মিতিৰ-কুটুমৰ সংখ্যা সৰহ হয়, সেই কাৰণে আগদিনাই গঞা ৰাইজ আহি ৰভা-পৰলা দিয়া আৰু পাত-পতুৱা কাটি গৃহস্থক সহায় কৰি দিয়ে। আনকি জা-জলপান, চাউল-পাত আদি তৈয়াৰ কৰাৰ কামত ওচৰ-চুবুৰীয়া বোৱাৰীসকলে সহায় কৰে।

সকামৰ দিনা সকলোৱে মিলি ঘৰ-দুৱাৰ, ৰভাতল আদি চাফ্-চিকুণ কৰি মচি-কাচি গা-পা ধুই ভকত সেৱাৰ কাৰণে সাজু হয়। সেই দিনা ঘৰৰ সকলো সদস্যই উপবাসে থাকে। নিমন্ত্ৰিত ভকত সকল আহিলে পদুলিমুখতে ভৰি ধুৱাই সেৱা সৎকাৰ কৰি ভিতৰত সকাম পাতিলে চ'ৰাঘৰত আৰু চোতালত পাতিলে ৰভাতলতে বহিবলৈ দি প্ৰথমে চাহ-তামোলেৰে সেৱা আৰম্ভ কৰে। সৰহ সংখ্যক ভকত আহি পালে গৃহস্থই ভকত সকলক সকামৰ থলীত আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। ভকত সকলে আসন গ্ৰহণ কৰাৰ পাচত সকামৰ নৈবেদ্য সমূহ গৃহস্থই ভকত সকলৰ মাজত উলিয়াই দিয়ে। কেঁচা পন্থী সকলে সাতোলা বা মেধিৰ নিৰ্দেশ ক্ৰমে ভকতসকলৰ দুজনমানে এটি কাঁহৰ ডাঙৰ বটা বা পিতলৰ শৰাইত মাহ-প্ৰসাদ, ফল-মূল সজাই লগত তিনিখন থুৰীয়া তামোল দি এগছি বন্তি জ্বলাই ইষ্ট দেৱতা আৰু মৃত পিতৃ-মাতৃৰ নামত শৰাই উৰ্ছগা কৰে আৰু



গৃহস্থক সেৱা ল'বলৈ কয়। কোনো অঞ্চলত এই শৰাই পতা, উৰ্ছগা কৰা আদি কাম কুল-পুৰোহিত বা গোসাঁইৰ দ্বাৰা কৰে। এনেদৰে শৰাই পতা কাম সম্পূৰ্ণ হোৱাৰ পাছত গৃহস্থই সেৱা লয় আৰু ভকত সকলে 'অ' ৰাম, অ' হৰি' ধ্বনি দি ইষ্ট দেৱতা আৰু মৃত পিতৃ-মাতৃৰ প্ৰতি প্ৰাৰ্থনা জনাই পুনৰ 'অ' ৰাম, অ' হৰি' ধ্বনি দি সকামৰ আনুষ্ঠানিকতা আৰম্ভ কৰে। শৰাই উৰ্ছগা কৰাৰ পাচত নামতী বা পাঠেকীয়ে ভকতৰ মাজত সজাই থোৱা নিৰ্দিষ্ট আসনত উপবিষ্ট হৈ ভকতৰ প্ৰতি সেৱা জনাই কীৰ্ত্তনৰ ঘোষা পদেৰে নাম আৰম্ভ কৰে। নামৰ পাছত কেতিয়াবা কেতিয়াবা দুই এক আধ্যায় কীৰ্ত্তন পাঠো কৰা হয়। ইয়াৰ পাচতে গৃহস্থই পুনৰ সেৱা গ্ৰহণ কৰে আৰু লগে লগে দেউৰী-বিলনীয়াই শৰাই ভাঙি মাহ-প্ৰসাদ, জা-জলপান বিতৰণ কৰি সকলোৱে খায় আৰু গৃহস্থক কুশলে-মঙ্গলে থাকিবলৈ আৰ্শীবাদ দি ঘৰা-ঘৰি যায়গৈ।

অন্যহাতে, পকা পন্থী সকলে শৰাইৰ পৰিবৰ্তে কৰণি পাতে আৰু এবাতি সাজপানী আৰু কুকুৰা মাংসৰ তৰকাৰী এখন আগলি কলপাতত সজাই এগছি বন্তি জ্বলাই ইষ্ট দেৱতা আৰু মৃত পিতৃ-মাতৃৰ প্ৰতি উৰ্ছগা কৰে আৰু এই উপকৰণসমূহ আগবঢ়োৱাৰ পাছত গৃহস্থই সেৱা লয়। সাধুবুঢ়াৰ নেতৃত্বত 'জয় অ' হৰি বোলা, জয় অ' ৰাম' বোলা' ধ্বনি দি ইষ্ট দেৱতা আৰু মৃত পিতৃ -মাতৃ সকল য'ত আছে তাৰপৰা আহি সামগ্ৰী সমূহ গ্ৰহণ কৰি সতি-সন্ততি আৰু গৃহস্থক কুশলে মঙ্গলে ৰাখিবৰ বাবে তুতি-মিনতি আৰু প্ৰাৰ্থনা জনাই গৃহস্থকো কুশলে মঙ্গলে থাকিবলৈ আৰ্শীবাদ জনাই পুনৰ 'জয় অ' হৰি বোলা, জয় অ' ৰাম বোলা' ধ্বনি দি বছেৰেকীয়া সকামৰ আনুষ্ঠানিকতাৰ সামৰণি মাৰে। ইয়াৰ পাচত আগতে বিহু শলিতা লগোৱা সকামৰ ক্ষেত্ৰত বৰ্ণনা কৰাৰ দৰে সাজপানী আৰু জা-জলপান বা ভাতপানী খাই গৃহস্থক ভালে-কুশলে থাকিবলৈ পুনৰ আৰ্শীবাদ জনাই সকলো ঘৰা-ঘৰি যায়গৈ। এনেদৰে চুতীয়া সকলে প্ৰাচীন কালৰে পৰাই মৃত পিতৃ-মাতৃৰ মৃত্যু তিথিত বছেৰেকীয়া সকাম কৰি আহিছে।

**ন-পুৰুষৰ চাউলখোৱা** ঃ হিন্দু বুলি নিজকে পৰিচয় দিয়াৰ পাচৰ পৰাই চুতীয়াসকলে নিজৰ বংশৰ হিচাব ন পুৰুষলৈকে ৰাখে। নপুৰুষৰ পাছত বংশৰ সম্পৰ্ক নাইকিয়া হয় বুলি চুতীয়া সকলে বিশ্বাস কৰে। সেই কাৰণে মৃত পিতৃ-মাতৃৰ বছেৰেকীয়া সকাম কৰাৰ ওপৰিও কিছুমান চুতীয়া পৰিয়ালে ন পুৰুষৰ নামত প্ৰত্যেক বছৰে সকাম পাতে। এই সকাম সাধাৰণতে ভোজ ভাত দি পাতে কাৰণে ইয়াক ন পুৰুষৰ চাউলখোৱা বুলি কয়। এই ন পুৰুষৰ ভোজ বা চাউলখোৱা খেতি-বাতি চপাই মাঘ বা ফাগুন মাহত পাতে। এই চাউলখোৱালৈ আগদিনা গৃহস্থই নজন ভকতক নিমন্ত্ৰণ জনায় আৰু লগতে গাঁৱৰ ৰান্ধনী-বিলনীয়াক ভোজৰ দিনা পুৱাৰ ভাগতে আহি ৰন্ধন কাৰ্য কৰিবলৈ বিশেষভাৱে তামোল-পাণ দি নিমন্ত্ৰণ জনায়।

ভোজৰ দিনা পুৱাই গৃহস্থই ঘৰ-দুৱাৰ মচি- কাচি চাফা কৰি ভোজৰ ৰন্ধন সামগ্ৰী

সমূহ ৰন্ধন কৰা ঠাইত মজুত কৰি ৰাখে। মাছ-মাংস দিলে আগতীয়াকৈ কাটি-বাচি ৰাখে, যাতে ৰান্ধনীয়ে সোনকালে ৰন্ধন কাৰ্য সম্পন্ন কৰিব পাৰে। ৰান্ধনী আহি পোৱাৰ লগে লগে আগতে মজুত কৰি ৰখা সামগ্ৰী সমূহ এটি তামোল-পান আগবঢ়াই ৰান্ধনীক আগবঢ়াই দিয়ে। ৰান্ধনীয়েও চৌকা সাজি অগ্নি দেৱতালৈ এটি তামোল-পাণ আগবঢ়াই ৰন্ধন কাৰ্য আৰম্ভ কৰে। এই সকামত কেঁচা পন্থীসকলে মাটি মাহ, আঁড়ি, বৰালি মাছৰ উপৰিও কোনো কোনোৱে কোমোৰাৰে কাছ নাইবা হাঁহৰ মাংসৰ তৰকাৰী ৰান্ধে। আনহাতে, পকা পন্থী সকলে কুকুৰা বা গাহৰি মাংসৰ তৰকাৰী ৰান্ধে। ইতিমধ্যে নিমন্ত্ৰিত ভকতসকল আহি উপস্থিত হ'লে চ'ৰা ঘৰতে বহুৱাই গৃহস্থই চাহ-তামোল দি সেৱা সৎকাৰ কৰে। ইফালে ৰন্ধন কাৰ্য শেষ হ'লে গৃহস্থই ভকত সকলক ভোজনথলীলৈ লৈ গৈ আসন পাৰি বহিবলৈ দিয়ে। ভকত সকলে আসন গ্ৰহণ কৰাৰ পাচত ৰান্ধনীয়ে ন খন আগলি কলপাতত ন ভাগ ভাত আৰু তৰকাৰী সজাই ন গছি বন্তি জ্বলাই ভকত সকলৰ মাজত সাধাৰণতে পূবফালে আগবঢ়াই দিয়ে, এই নিয়ম কেঁচা পন্থীসকলৰ। পকাপন্থী সকলে কৰণি পাতি এটি সাজপানী, ভাত আৰু তৰকাৰী নপুৰুষৰ এজন ভকতে বা ভকতনীয়ে আগবঢ়ায় আৰু গৃহস্থক সেৱা কৰি উৰ্ছগা কৰিবলৈ কয়। গৃহস্থই স-পৰিয়ালে তামোল-পান, নগদ ধনৰ অৰিহনা আগবঢ়াই সেৱা ধৰে। ভকত সকলেও 'অ' হৰি, অ' ৰাম' ধ্বনি দি ন-পুৰুষক প্ৰাৰ্থনা জনাই তেৰাসৱৰ সতি-সন্ততিসকলক কুশলে-মঙ্গলে ৰাখিবলৈ তুতি-মিনতি কৰি সেৱকী সকলকো কুশলে-মঙ্গলে থাকিবলৈ আৰ্শীবাদ দি পুনৰ 'অ' হৰি, অ' ৰাম' ধ্বনি দিয়ে। ইয়াৰ পাচত দুয়োপন্থীয়ে নিজৰ ৰীতি অনুসৰি কৰা ভোজনৰ অন্তত পুনৰ গৃহস্থক আৰ্শীবাদ দি ঘৰা-ঘৰি যায়গৈ।

**বৰ সবাহ ঃ** সম্ভ্ৰান্ত চুতীয়া পৰিয়ালে দুই তিনিবছৰৰ মূৰে মূৰে এই সবাহ অনুষ্ঠিত কৰে। এই সবাহ যথেষ্ট ব্যয়বহুল কাৰণে সৰ্বসাধাৰণ চুতীয়া মানুহে এই সবাহ অনুষ্ঠিত কৰিব নোৱাৰে। আনকি যিবিলাক পৰিয়ালে এই সবাহ পাতে সেই পৰিয়ালসমূহেও যি বছৰ বৰ সবাহ পাতিব সেই বছৰ সৰহীয়াকৈ জলপান খোৱা ধানৰ খেতি কৰে। এই সবাহ পাতিবলৈ প্ৰায় এমাহ মানৰ আগৰ পৰাই গৃহস্থই প্ৰস্তুতি চলায়, গাখীৰ-গুড় আদি বন্দোবস্ত কৰে আৰু জলপানৰ ধান মাৰি ওচৰ-চুবুৰীয়াই সবাহৰ আগে আগে জলপানৰ চাউল উলিয়াই গৃহস্থক সহায় কৰি দিয়াৰ নিয়ম পূৰ্বৰ পৰা চুতীয়াসকলৰ মাজত প্ৰচলিত।

সবাহৰ কেইদিনমানৰ আগতে গাঁও বাৰিকৰ জৰিয়তে গৃহস্থই গাঁওবাসীক গাঁৰৰ হৰি মন্দিৰলৈ নিমন্ত্ৰণ জনাই এখন তামোল-পানৰ শৰাই দি ৰাইজক বৰ সবাহ সম্পন্ন কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ অনুৰোধ জনায়। এনেধৰণে ৰাইজ গোটাই সহায় কৰিবলৈ অনুৰোধ জনোৱা ব্যৱস্থাটোক ভৰষা লোৱা বুলি কোৱা হয়। এই ভৰষালোৱাতে সকামৰ কাৰণে গাখীৰ অনা, মানুহ মতা, খেৰখৰি-কলপতুৱা যোগাৰ কৰি দিয়া আৰু ৰভা-



পৰলা দিয়া কাম-কাজ বিলাক ভাগ কৰি গঞা ৰাইজে বেলেগে দায়িত্ব লয় আৰু সেই অনুপাতে কাম বিলাক সম্পন্ন কৰি গৃহস্থক সহায় কৰি দিয়ে।

এই বৰ সবাহলৈ গঞা-জ্ঞাতিৰ বাদেও ওচৰ-চুবুৰীয়া গাঁওবাসী আৰু মিতিৰ-কুটুম সকলোকে নিমন্ত্ৰণ জনায়। সবাহৰ এদিন বা দুদিনৰ আগতে ভৰষা লোৱাত দায়িত্ব ভগাই দিয়াৰ অনুসৰি ৰাইজ আহি ৰভা দিয়া, পাত কাটি যোগাৰ কৰা, কলপতুৱাৰ দোনা বনোৱা আদি কাম কৰি দিয়েহি। অন্যহাতে, আগতে ওচৰ-চুবুৰীয়া বোৱাৰীসকলক খুন্দিবলৈ দিয়া কোমল চাউল, ভজা বৰা চাউল আদি গৃহস্থক ঘৰত দিয়েহি।

সবাহৰ প্ৰাক-সন্ধ্যা কেইজনমান গঞা আৰু গায়ন-বায়নৰ দল আহি ৰভাতলী চাফ-চিকুণ কৰাই মচি-কাচি এগছি বন্তি জ্বলাই গায়নৰ এটি ঘাত মাৰে। গায়নৰ এই ঘাতক গুৰু ঘাত বুলি কোৱা হয়। এনেধৰণে ৰভাতলত সবাহৰ প্ৰাক সন্ধ্যা গায়নৰ গুৰু ঘাত মৰা নিয়মক খোলা-জোৰা বুলি কয়।

সবাহৰ দিনা কাউৰী পুৱাতে ঘৰৰ সকলোৱে উঠি কাপোৰ-কানি ধুই চাফা কৰি ঘৰ-দুৱাৰ ৰভাতলী আদি কেঁচা গোৱৰ মাটি দি মচি-কাচি গা-পা ধুই সকলোৱে ভকত সেৱাৰ কাৰণে সাজু হয়। এই চাফ-চিকুণ সৰা-মচা কামত ওচৰৰ জীয়ৰী-বোৱাৰী বিলাকে আহি সহায় কৰি দিয়ে। এই বৰসবাহ দিন-ৰাতি জুৰি চলে। আগ বেলা ন মান বজাৰ পৰা আৰম্ভ হৈ পুৱতি নিশা শেষ হয়। সবাহৰ দিনা পুৱা ন-মান বজাত নিমন্ত্ৰিত কূল-পুৰোহিত বা গোসাঁই আহি ৰভাতলৰ পূবফালে সোঁমাজত চাৰিটা সৰু সৰু কলপুলি পুতি এখন বেদী প্ৰতিষ্ঠা কৰে। বেদী প্ৰতিষ্ঠা কৰাৰ পাচত উক্ত বেদীত ঘিঁউৰ বন্তি প্ৰজ্বলন কৰি ধূপ-ধূনা জ্বলাই ফুল-তুলসী-বেলপাত আদি বিভিন্ন সামগ্ৰীসহ বিষ্ণুৰ সহস্ৰ নাম জপ কৰি বিষ্ণু যজ্ঞ আৰম্ভ কৰে। এই যজ্ঞ প্ৰায় দেৰ ঘণ্টা মান জুৰি চলে। যজ্ঞ চলি থকা অৱস্থাতে গাঁৰৰ ভকতসকল আহি উপস্থিত হয় আৰু গৃহস্থই তেখেতসকলক সেৱা সৎকাৰ কৰি ৰভা তলত ৰভাৰ চাৰিওফালে বহিবলৈ আসন পাৰি দিয়ে। অন্যহাতে যজ্ঞৰ অন্তত পুৰোহিত বা গোঁসায়ে বিষ্ণুজল বা শান্তিয়নী পানী (মিঠাতেল, পানী, দুৰ্বৰি বন আৰু বেলপাতৰ এটি মিশ্ৰণ) প্ৰস্তুত কৰি দিয়ে। এই বিষ্ণুজল উপস্থিত ভকত সকলকে আদি কৰি ঘৰৰ আৰু বংশ-পৰিয়ালৰ সকলো সদস্যই ভক্তি সহকাৰে শিৰত লয়। যজ্ঞৰ অন্তত গোসাঁয়ে পুনৰ শৰাই পতা কাৰ্য আৰম্ভ কৰে আৰু এই কাৰ্যত সাধাৰণতে গাঁৰত শৰাই পতা ভকতে কল-কুঁহিয়াৰ আৰু ফল-মূল কাটি মাহ-প্ৰসাদ যোগাৰ কৰি দিয়ে। গৃহস্থৰ মূল শৰাইৰ বাদেও এই বৰ সবাহত বংশ পৰিয়াল আৰু জী-জোঁৱাই সকলেও ভাগে ভাগে শৰাই দিয়ে। শৰাই সজাই ভাগে ভাগে বেদীৰ ওচৰত স্থাপন কৰাৰ পাছত গৃহস্থক শৰাই উছৰ্গা কৰি সেৱা ধৰিবলৈ কোৱা হয়। গৃহস্থ আৰু শৰাই দিয়া বংশ পৰিয়ালৰ সদস্য সহিতে জী-জোঁৱায়ে এখন কলপাত তামোল-পাণ আৰু যিয়ে যেনেকৈ পাৰে সাধ্য অনুসৰি নগদ ধনৰ অৰিহণা দি সেৱা ধৰে আৰু গোঁসায়ে 'জয় অ' ৰাম বোলা, জয়অ' হৰি বোলা' ধ্বনি দি বিষ্ণু প্ৰমুখ্যে কৰি বিভিন্ন দেৱ-দেৱতা আৰু পূৰ্বপুৰুষ সকল

য'তে আছে তাৰ পৰা আহি শৰাই আৰু সেৱকীৰ সেৱা গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা জনাই তুতি-মিনতি কৰি পুনৰ হৰি ধ্বনি দি শৰাই আগবঢ়োৱাৰ কাৰ্য সমাপ্ত কৰে। ইয়াৰ পাচতে গোসাঁয়ে নিজে বা কোনো কোনো ক্ষেত্ৰত গাঁৱৰ নামতীয়ে ৰভাৰ সোঁমাজত বহি নাম প্ৰসঙ্গৰ আঁত ধৰে; ভকত সকলেও হাত চাপৰি বজাই নামতীৰ লগে লগে নাম দোহাৰি গাই যায়। এনেধৰণেৰে এঘণ্টা ধৰি নাম-প্ৰসঙ্গ কৰাৰ পাছত কীৰ্তন বা ভাগৱত পাঠ আৰম্ভ কৰে। ইতিমধ্যে সবাহলৈ নিমন্ত্ৰণ জনোৱা ওচৰ-চুবুৰীয়া গাঁও বাসীয়ে হাতে পতি যেয়ে যি পায় যেনে — গুড়, গাখীৰ, আখৈ, চিৰা লৈ সবাহলৈ আহে। এনেদৰে গুড়-গাখীৰ-আখৈ-চিৰা আদি অনাক ডালি অনা বুলি কয়। গৃহস্থই অভ্যাগত সকলৰ পৰা উক্ত সামগ্ৰী সমূহ শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰি ভিতৰলৈ মাতি নি কোমল চাউল, গুড়, দৈ গাখীৰেৰে জলপান খুৱাই আপ্যায়ন কৰে। জা-জলপানৰ খোৱাৰ অন্তত অতিথি সকলে ৰভাতলত বহি নাম আৰু কীৰ্ত্তন পাঠৰ ভক্তিৰস পান কৰে। এনেদৰে অভ্যাগত সকলক জা-জলপান খুউৱা কাৰ্য সন্ধ্যা পৰ্যন্ত চলি থাকে। ইফালে কীৰ্ত্তন পাঠৰ অন্তত সকাম-নিকামত গোৱা সবহুৱা নাম আৰম্ভ হয় আৰু এই নাম ৰাতি পৰ্যন্ত চলে। নামৰ অন্তত গায়ন বজোৱা, দিহা নাম আদি গোৱা কাৰ্য আৰম্ভ হয়। বৰ সবাহত খোলৰ মালিতা গাই, সৰু ধেমালি, বৰ ধেমালি আদি কৰে। এই গায়ন-বায়ন প্ৰায় দুঘণ্টা মান ধৰি চলে আৰু শেষ ৰাতি এই গায়ন-বায়ন শেষ হয়। শেষত গৃহস্থক পুনৰ সেৱা ল'বলৈ কোৱা হয়। ঘৰৰ সকলোৱে বংশ পৰিয়াল সমন্বিতে এখন আগলি কলপাতত বা কল পতুৱাৰ দোনাত তামোল আৰু অৰিহণা দি সেৱা লয়। ভকত সকলেও 'অ' হৰি, অ' ৰাম' ধ্বনি দি যি মনোবাসনা লৈ সেৱকীয়ে বৰ সবাহ অনুষ্ঠিত কৰিছে, সেই মনোবাঞ্ছা পূৰণ কৰি কুশলে মঙ্গলে ৰাখিবলৈ দেৱ-দেৱতা আৰু পূৰ্ব পুৰুষ সকলক প্ৰাৰ্থনা জনাই তুতি-মিনতি কৰে আৰু সেৱকী সকলকো কুশলে মঙ্গলে থাকি আগলৈকে এইদৰে ভকত বৈষ্ণৱৰ সেৱা কৰিবলৈ শক্তি দিবলৈ আৰ্শীবাদ দি পুনৰ 'অ' হৰি, অ' ৰাম' ধ্বনি দি বৰ সবাহৰ আনুষ্ঠানিকতা শেষ কৰে।

সেৱা লোৱাৰ পাচত শৰাই পাতোঁতা জনে শৰাইখনিৰ স্থান লৰাই দি গাঁৱৰ দেউৰী-বিলনীয়াক শৰাই ভাঙি মাহ-প্ৰসাদ বিলাবলৈ দিয়ে। দেউৰী-বিলনীয়াইও মাহ-প্ৰসাদ বিতৰণ কৰি ৰভাস্থলীত থকা সকলো ভকত-বৈষ্ণৱ, অতিথি, ঘৰৰ ঘৰুৱাল, বংশ পৰিয়ালৰ সকলো সদস্যৰ প্ৰতি প্ৰসাদৰ ভাগ আগবঢ়াই সেৱা জনাই প্ৰসাদ গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। অন্যহাতে শৰাই স্থাপন কৰোঁতে আৰু সেৱা লওঁতে আগবঢ়োৱা অৰিহণাসমূহ মূল ভকতসকলৰ মাজত বিতৰণ কৰি দিয়ে। প্ৰসাদ গ্ৰহণৰ অন্তত পুনৰ গৃহস্থই সকলোকে দৈ গাখীৰেৰে জলপান দিয়ে। এনেদৰে মাহ-প্ৰসাদ, জা-জলপান খাই পুনৰ গৃহস্থক আৰ্শীবাদ জনাই পুৱতি নিশা ভকত সকল ঘৰা-ঘৰি যায়গৈ।

এনেধৰণেৰেই কেঁচা পন্থী চুতীয়া সম্ভ্ৰান্ত পৰিয়াল কিছুমানে বৰ সবাহ পাতি



আহিছে। এই বৰ সবাহ কোনো অঞ্চলত ৰাজহুৱা ভাৱেও অনুষ্ঠিত কৰে। ৰাজহুৱা বৰ সবাহৰ নীতি নিয়ম আৰু আনুষ্ঠানিকতাবিলাক প্ৰায় একেই যদিও এই ৰাজহুৱা সবাহ জলপানৰ পৰিৱৰ্তে অকল মাহ -প্ৰসাদেৰে সম্পন্ন কৰে। এই সবাহ গাঁৱৰ হৰি মন্দিৰত অনুষ্ঠিত কৰে। সবাহ পাতিবৰ কাৰণে গাঁৱৰ প্ৰতিটো পৰিয়ালে বৰঙণি দিয়ে। জনা মতে, কোনো কোনো অঞ্চলত এই সবাহ পাতিবৰ কাৰণে পুৰণি কালত ৰাজহুৱা ভাৱে ধান-মাহৰ খেতিও কৰিছিল।

সবাহৰ প্ৰাক-সন্ধ্যা গাঁৱৰ ডেকা বুঢ়াসকলে ঢোলে-দগৰে গায়নে-বায়নে আয়তী সকলে নাম গাই তিনিজনী অ-কুমাৰী ছোৱালীক তিনিটা কলহ দি আৰু এজনীয়ে দোনৰীত চাউল ভৰাই এগছি মিঠা তেলৰ চাকি লৈ তিনিটা নৈ-ঘাটৰ পৰা পানী আনিবলৈ যায়। ওচৰত নৈ নেথাকিলে তিনিটা নাদ বা পানী খোৱা পুখুৰীৰ পৰা পানী তুলি আনি হৰি মন্দিৰত ৰাখে আৰু এই পানী নাম ঘৰৰ মণিকূট, বেদী আদি চাফ-চিকুণ কৰি সবাহৰ কাৰণে নামঘৰ বা হৰি মন্দিৰটি মচাৰ কামত ব্যৱহাৰ কৰে। এইটোৱেই ব্যক্তিগত পৰিয়ালত পতা বৰ সবাহৰ লগত পাৰ্থক্য।

**বৰ সেৱা বা বৰ সকাম** ঃ কেঁচা পন্থী সকলৰ দৰে পকা পন্থী সকলেও বৰ সেৱা নামৰ এটি ৰাজহুৱা সকাম দুই বা তিনি বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত কৰে আৰু ই অতি প্ৰাচীন কালৰ পৰাই চুতীয়া সকলৰ মাজত প্ৰচলিত। সাধাৰণতে লোক চক্ষুৰ আঁৰত ৰাতি এই সকাম অনুষ্ঠিত কৰে। ইয়াত পকা ভকত-ভকতনী সকলেহে অংশগ্ৰহণ কৰে। এই সকাম আৰ-বেৰ থকা নাম ঘৰত নতুবা গাঁৱৰ পৰা আঁতৰত ৰভা দি অনুষ্ঠিত কৰে। এই সকামৰ প্ৰধান উপকৰণ হৈছে সাজপানী আৰু কুকুৰা বা গাহৰিৰ মাংস আৰু মাছ। এই সকাম সাধুৰ দ্বাৰা পৰিচালিত হয়। এই বৰসেৱাৰ আৰম্ভণিতে -

কৰণি পাতিয়ে কৰো নমস্কাৰ  
কৰো সাধু গুৰু ক সেৱা।  
কৈছে ৰামদেৱে যোগেশ্বৰ ধৰমে  
ধৰ্মৰ নপৰে ৰেৱা।

এই বুলি আৰম্ভণিতে এগছি বন্তি জ্বলাই কৰণি পাতে আৰু লগতে এবাতি সাজ তলে ওপৰে কলপাত দি আগবঢ়ায়। পকা পন্থীসকলৰ সকলো সকামতে কৰণি পতা আৰু সাজ আগবঢ়োৱা অবিচ্ছেদ্য অংগ। কৰণি পতাৰ পিছত আগবঢ়োৱা 'সাজ' বাতি সকামৰ অন্তত ভাঙে আৰু সাধুসমে সকলোৱে ভাগ কৰি খায়। এই সকামত ভকতনীসকলে হাতে হাতে সাজৰ বাতি আৰু সিদ্ধ মাছ-মাংস লৈ -

বন্ধুদেউৰ চৰণে কেতেকী বৰণে  
আছিল আলাসত ৰ'ই....

এনেধৰণেৰে এটি গাই বিশেষ ভঙ্গীৰ নাচি-বাগি সাধু ভকতসকলৰ মাজত প্ৰৱেশ

কৰি - "নিজ পূৰ্ণ স্বামী শঙ্কৰ-মাধৱ, গোপাল যদু মণি ৰামদেউ" বুলি প্ৰথমে সাধুৰ সন্মুখত দাণ্ডি ধৰা সাজৰ পাতত এফাঁকি নাম গাই সাধুৱে সোহা মাৰে আৰু বাকী ভকত সকলকো একে পদ্ধতিৰে ভকতনী সকলে সাজপানী আৰু সিদ্ধ মাছ, মাংস পৰিবেশন কৰে আৰু নিজেও খায়। এনেধৰণেৰে সমগ্ৰ ৰাতিজুৰি ভকত-ভকতনীসকলে নাম গাই সাজপানী সেৱন কৰে আৰু শেষত কৰণি পাতি আগবঢ়োৱা সাজ বাতি সাধুসমে সকলো ভকত-ভকতনী বন্ধু-বান্ধৱীৱে পান কৰি বৰসেৱাৰ সামৰণি মাৰে।

এই বৰসেৱাৰ অনুষ্ঠান ৰাজহুৱাভাৱে কৰাৰ উপৰিও কোনো কোনো চুতীয়া পৰিয়ালে এই সকাম দুই বা তিনি বছৰৰ মূৰত অনুষ্ঠিত কৰে।

**ভকত সেৱা ঃ** চুতীয়াসকলে ভকত সেৱা নামৰ এটি সকাম ব্যক্তিগত পৰিয়াল বিলাকত প্ৰতি বছৰে অনুষ্ঠিত কৰে। বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাচত কিছু সংখ্যক চুতীয়াই কেঁচা উপকৰণেৰে অৰ্থাৎ মাহ-প্ৰসাদ ফলমূলেৰে কোমল চাউল, গুড়, দৈ আদিক নৈবেদ্য হিচাপে ব্যৱহাৰ কৰি এই সকাম অনুষ্ঠিত কৰে। অন্যহাতে পকা পন্থী সকলে পৰম্পৰাগত নীতি নিয়মৰ আধাৰত সাজপানী, মতা কুকুৰা আৰু গাহৰিৰ মাংস, মাছ আদি উপকৰণেৰে এই সকাম অনুষ্ঠিত কৰে।

ওপৰত উল্লেখ কৰা সকাম বিলাকৰ উপৰিও কৃষিজীৱী চুতীয়া সকলে কৃষিৰ লগত জড়িত কিছুমান লৌকিক ধৰ্মীয় অনুষ্ঠান পালন কৰি আহিছে। ইয়াৰ উপৰিও ম'হ-গৰু আদি কৃষি কাৰ্যত সহায়ক পোহনীয়া জীৱ-জন্তুৰ মঙ্গলৰ কাৰণেও কিছুমান সকাম-নিকাম, পুজা-পাতল পুৰুষানুক্ৰমে অনুষ্ঠিত কৰি আহিছে। এই বিলাকৰ ভিতৰত লখিমী আদৰা আৰু লখিমী সোমোৱা শৰাই, ন-খোৱা, গৰখীয়া সকাম, খুটীপোৱা সকাম, কালিকা মতা আদি বিশেষভাৱে উল্লেখযোগ্য।

**লখিমী আদৰা শৰাই** ঃ আঘোণ মাহত পথাৰত ধান পকাৰ লগে লগে কৃষিজীৱী চুতীয়া সকলে ধান চপোৱাৰ কাম আৰম্ভ কৰে। ধান চপোৱাৰ আগতে ভঁৰালত থকা পুৰণা ধান উলিয়াই মাৰি-মেলি নতুন ধান ভৰাবলৈ ভঁৰাল খালী কৰে। ভঁৰালৰ খালী অংশ গোবৰ মাটি মিহলি কৰি ভালকৈ শুকাবলৈ দিয়ে। ইয়াৰ পাচত ধান পকিলে আঘোণ মাহৰ কোনোবা এটা সোমবাৰে ধান কাটিবলৈ আৰম্ভ কৰে আৰু সেই দিনাই ঘৰলৈ লখিমী আনে। এইদৰে ধানকটা কাৰ্যক চুতীয়াসকলে ধানত কাঁচি লগোৱা বুলি কয়। ধানত কাঁচি লগোৱা দিনা ঘৰৰ মূল মাইকী মানুহ গৰাকীয়ে বা ঘৰৰ বৰ বোৱাৰীজনীয়ে দুপৰীয়া ভাত পানী খাই বৈ লাহে ধীৰে ধানত কাঁচি লগাবলৈ পথাৰলৈ যায়। পথাৰলৈ যাঁওতে দাৱনী গৰাকীয়ে তিনিখন বস্ত্ৰ পৰিধান কৰে আৰু কেইখনমান থুৰীয়া তামোল আৰু এখিলা আগলি কলপাত হাতত লৈ যায়। পথাৰত উপস্থিত হৈ ধাননি ডৰাৰ যিকোনো এটা চুকত এখন কলপাতত তিনিখন থুৰীয়া তামোল আগবঢ়াই সেৱা জনায় আৰু ধানৰ কেইদালমান গছি কাটি লগত নিয়া আগলি কলপাতত থুৰীয়া



তামোলেৰে সৈতে থৈ গামোছাৰে বান্ধি মূৰত তুলি ঘৰলৈ লৈ আহে। বাটত আহোঁতে লখিমী অনা গৰাকীয়ে কাকো মাতবোল নকৰে আৰু পাছলৈও ঘূৰি নাচায়। মাত বোল কৰিলে বা পাচলৈ ঘূৰি চালে লখিমী পুনৰ পথাৰলৈ ঘূৰি যায় বুলি চুতীয়া সকলে বিশ্বাস কৰে। এনেদৰে পথাৰৰ পৰা লখিমী আনি ভঁৰালত শ্ৰদ্ধা সহকাৰে সেৱা জনাই আগলি কলপাতৰ ওপৰত ভঁৰালৰ ভিতৰত থৈ ভঁৰালৰ দুৱাৰ বন্ধ কৰি দিয়ে। গধুলিলৈ কোনোৱে ভঁৰালত চাকি জ্বলায় আৰু কোনো কোনোৱে পায়সৰ এখন শৰাই সজাই চাকি বন্তি জ্বলাই ভৰাঁলত লখিমী দি লক্ষীদেৱীক প্ৰাৰ্থনা জনায়। এই কাৰ্য লখিমী অনা গৰাকীয়ে অকলেই আৰু কেতিয়াবা দুই এগৰাকী মহিলাকো নিমন্ত্ৰণ কৰি সম্পন্ন কৰে। লখিমী আদৰাত শৰাই দিয়াৰ পায়স খাবলৈ গধূলি ওচৰ চুবুৰীয়া ডেকা-গাভৰু সকলে লখিমী অনা গৃহস্থৰ ঘৰত ভিৰ কৰেহি। সেই কাৰণে গৃহস্থই পাৰ্যমানে সৰহীয়াকৈ পায়স দিজায়। একে নিয়মেৰে ধান চপোৱাৰ শেষত লখিমী সোমোৱাৰ শৰাই দিয়াৰো প্ৰথা প্ৰচলিত আছে।

**ন-খোৱা ঃ** চুতীয়াসকলে প্ৰথম ধান মুঠি সিচোঁতে বা ধানৰ গোঁজ লওঁতেই আই বসুমতীক সেৱা জনাই 'প্ৰথমে গুৰু ভকতক দিম' বুলি উচ্চাৰণ কৰি বা মনতে ধাৰি ধান মুঠি সিঁচে বা কঠীয়া গোঁজ ৰোপণ কৰে। সেইকাৰণে ধান চপোৱাৰ সামৰণি পৰক বা নপৰক আঘোণ মাহৰ ভিতৰতে প্ৰতিটো চুতীয়া পৰিয়ালে ন-খোৱা পাতে। ন-খাবৰ কাৰণে বংশ পৰিয়ালৰ বাদেও গাঁৱৰ সাধু, ভকত সকলক নিমন্ত্ৰণ জনায়। ন-খাবৰ কাৰণে কেঁচা পন্থী চুতীয়াসকলে নতুন চাউল, নতুন মাহ, নতুন শাক-পাচলি বিশেষকৈ লাই, মূলা, জাতিলাও আদি আৰু বৰালি, আঁড়ি আদি মাছেৰে আৰু কোনোৱে হাঁহৰ মাংস, কোমোৰা বা কল-পছলাৰে ৰান্ধে আৰু পকা পন্থী সকলে নতুন চাউলৰ ভাতৰ লগত সাজপানী, কুকুৰাৰ মাংসৰ আৰু অন্যান্য তৰকাৰী খায়। এই ন-খোৱাৰ আনুষ্ঠানিক নীতি-নিয়ম অন্যান্য চাউলখোৱা বিলাকৰ লগত প্ৰায় একে।

কৃষিজীৱি চুতীয়া সকলে খেতি কৰিবৰ কাৰণে গৰু-ম'হ আদি পোহে আৰু এই গৰু-ম'হ বিলাকক অপায় অমঙ্গলৰ পৰা বচাই ৰাখিবলৈ লোক বিশ্বাসৰ আধাৰত পৰম্পৰামতে কিছুমান সকাম-নিকাম কৰি আহিছে। সেই সমূহৰে কেইটামান প্ৰধান সকাম তলত উল্লেখ কৰা হ'ল ঃ

**গৰখীয়া সকাম ঃ** গো-পালন কৰা প্ৰতিটো চুতীয়া পৰিয়ালেই গৰখীয়া সকাম নিয়মীয়াভাৱে প্ৰতি বছৰে কৰে। সাধাৰণতে ভাদ, আহিন, কাতি মাহত গৰুৰ পোৱালী জন্ম হয়। এই মাহ কেইটাতে চুতীয়া সকলে গৰখীয়া সকাম পাতে। গৰখীয়া সবাহৰ প্ৰধান উপকৰণ সমূহ হ'ল - কেঁচা পিঠাগুড়ি, ভীমকল আৰু এঁৱা গাখীৰ। এই সবাহ গৰু বন্ধাৰ পাছত সন্ধ্যা গোহালিৰ আগৰ মুকলি ঠাইত পাতে, আৰু সবাহলৈ গাঁৱৰ গৰখীয়া ল'ৰা বিলাকক নিমন্ত্ৰণ জনায়। সবাহৰ দিনা গৰুৰ গোহালি ভালকৈ সাৰি মচি

চাফ-চিকুণ কৰাৰ লগতে সকামৰ থলী হিচাপে গোহালি আগৰ মুকলি ঠাইডোখৰ চিকুণাই মেলি মচি- কাচি লোৱা হয়। সন্ধ্যা বৰ গৰখীয়াসহ গৰখীয়া ল'ৰা বিলাক আহি পালে উপকৰণসমূহ এগছি বন্তি জ্বলাই ডলা, কুলা বা পাছিত ভৰাই গৃহস্থই সেৱা কৰি উছৰ্গা কৰি দিয়ে। ইয়াৰ পাছত বৰগৰখীয়াৰ নিৰ্দেশ ক্ৰমে দুজনমান গৰখীয়াই কলপাতত বা কলপতুৱাৰ দোঙত ভাগ কৰি সকলোৰে আগে আগে দি যায়। ভাগ দি আদায় হোৱাৰ পাচত গৃহস্থই পুনৰ সেৱা লয় আৰু বৰ গৰখীয়াই গৰুক ৰোগ-ব্যাধি, হানি-বিঘিনি, বাঘ-ঘোং আদিৰ পৰা ৰক্ষা কৰিবলৈ গো-দেৱতাৰ প্ৰতি মিনতি জনাই গৰুৰ বংশ বৃদ্ধি হৈ গোহালি ভৰিবলৈ আশীৰ্বাদ দিয়ে। শেষত সকলোৱে সমস্বৰে 'জয় হৰি বোলা, জয় ৰাম বোলা' ধ্বনি দি সবাহৰ আনুষ্ঠানিকতাৰ সামৰণি মাৰে। ইয়াৰ পাছতে কেঁচা পিঠাগুড়ি ভীম কলেৰে সানি খাই ৰং-তামাচা কৰি সকলো ঘৰা-ঘৰি যায়গৈ।

**খুঁটী সবাহ** ঃ ঘৰৰ ওচৰৰ পথাৰবিলাক যেতিয়া ধান খেতিয়ে ভৰি পৰে তেতিয়া পালন কৰা গৰু, ম'হ বিলাক কোনোৱা চাপৰি বা ঘাহ-বন থকা নৈৰ পাৰত ৰাখেগৈ, ইয়াকে খুঁটী দিয়া বোলে। এই খুঁটী দিয়াৰ সন্ধ্যা বেলালৈ খুঁটী সবাহ কৰা নিয়ম চুতীয়া সকলৰ মাজত প্ৰচলিত আছে। সন্ধ্যা গৰু-ম'হ বিলাক বান্ধি আজৰি হৈ আগতে খীৰাই থোৱা গাখীৰেৰে গোৱাল বিলাকৰ এজনে পায়স সিজাই এখিলা আগলি কলপাতত এভাগ সজায় আৰু এগছি বন্তি জ্বলাই গৰু গোৱাল থকা টঙি-চাংঘৰৰ তলত শৰাই হিচাবে স্থাপন কৰে আৰু সকলো গোৱালে চাৰিওফালে বহি বৰ গোৱালৰ নেতৃত্বত ম'হৰ খুঁটী হ'লে মহ-যক্ষ (এজন দেৱতা)ৰপ্ৰতি আৰু গৰুখুঁটী হ'লে গো-দেৱতাক ম'হ-গৰু বিলাকক বেমাৰ আজাৰ, বাঘ-ঘোং আদিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনাই সেৱা কৰে। গোৱাল সকলৰ মাজৰ এজনে উঠি শৰাই ভাঙি পায়স ভাগ কৰি সকলোকে দিয়ে আৰু লগে ভাগে সকলোৱে খাই সকাম ভংগ কৰে।

**কালিকা মতা সকাম** ঃ ম'হপোৱালী জগিলে পোৱালীটোৰ নাভি সৰাৰ পাছত গোৱালে গাখীৰ খাবলৈ আৰম্ভ কৰে। এই গাখীৰ কিন্তু ঘৰৰ অন্য লোকে প্ৰথমে নেখায়। দুই এদিন গাখীৰ খীৰাই জমা কৰি চুতীয়া সকলে এখন সকাম পাতে। এই সকামকে কালিকা মতা বুলি জনাজাত। কালিকা মতা সকাম কৰাৰ পাছত নতুন পোৱালীৰ গাখীৰ গৃহস্থই খায় আৰু ওচৰ-চুবুৰীয়াকো দিয়ে। কালিকা মতা সকামৰ প্ৰধান উপকৰণ হ'ল পায়স। এই সকাম গধূলি কৰা হয়। এই সকামৰ কাৰণে কেইজনমান ম'হগোৱালক ভকত হিচাবে নিমন্ত্ৰণ জনোৱা হয়। কেতিয়াবা গৃহস্থই নিজে আৰু কেতিয়াবা গোৱাল সকলৰ মাজৰে এজনে পায়স ৰান্ধি এখন আগলি কলপাতত এভাগ সজাই বন্তি জ্বলাই ম'হৰ কালিকা বা মহ-যক্ষ দেৱতালৈ উছৰ্গা কৰে। ইয়াৰ পাছত গৃহস্থই বা ঘৰখনৰ ম'হ গোৱালজনে গোৱাল ভকতসকলৰ আগত সেৱা লয়। বৰ গোৱালৰ নেতৃত্বত মাক-পোৱালী তথা ঘৰৰ সকলো ম'হ বেমাৰ-আজাৰ, বাঘ, ঘোং আদিৰ পৰা ৰক্ষা পৰিবলৈ



প্ৰাৰ্থনা জনাই গৃহস্থক আশীৰ্বাদ দি কালিকা মতা সকামৰ আনুষ্ঠানিকতাৰ সামৰণি মাৰে আৰু পায়স ভাগ-বিত কৰি খাই সকলো ঘৰা-ঘৰি যায়গৈ।

ওপৰত বৰ্ণনা কৰা সকাম নিকাম বিলাক প্ৰাচীন কালৰ পৰাই লৌকিক ধৰ্ম বিশ্বাসৰ আধাৰত চুতীয়াসকলে পালন কৰি আহিছে ইয়াৰ উপৰিও চুতীয়া সকলে প্ৰয়োজন সাপেক্ষে পৰম্পৰাগত আৰু ঘৰত কাৰোবাৰ বেমাৰ-আজাৰ, অপায়-অমঙ্গল, বিপদ-আপদ হ'লে জ্যোতিষী বা মঙ্গলতিৰ ওচৰত মঙ্গল চোৱাই বিধান অনুসৰি কিছুমান সকাম অনুষ্ঠিত কৰি আহিছে। সেই বিলাকৰ ভিতৰত তলত উল্লেখ কৰা বিলাকেই বিশেষ উল্লেখযোগ্য আৰু বহলভাৱে প্ৰচলিত।

**আই সকাম** ঃ কাৰোবাৰ ঘৰত বসন্ত ৰোগে দেখা দিলে এই সকাম অনুষ্ঠিত কৰে। বসন্ত ৰোগক সাধাৰণতে আই ওলোৱা বুলি কয় আৰু এই সকামক আই সকাম বুলি কোৱা হয়।

আই সকামৰ বাবে গাঁৱৰ বৃদ্ধা আৰু বয়সীয়া তিৰোতা সকলক নিমন্ত্ৰণ কৰা হয়। এই সকামৰ প্ৰধান উপকৰণ হ'ল এঁৱা গাখীৰৰ পায়স, কেঁচা পিঠাগুড়ি, মিঠৈ, কল, গুড় আদি। সকামৰ দিনা গৃহস্থই ঘৰৰ কাপোৰ-কানি ধুই ঘৰ-দুৱাৰ সুন্দৰকৈ মচি এটা কোঠাত নিমন্ত্ৰিত গোপিনী সকলক বহুৱায়। গোপিনীসকলে কোঠাত ইংৰাজী 'ইউ' আখৰৰ আকাৰত আসন গ্ৰহণ কৰে আৰু এগৰাকী গোপিনীয়ে পায়স ৰান্ধে আৰু আন এগৰাকীয়ে কেঁচা পিঠাগুড়িৰ মিঠৈ সাজে। অন্যহাতে, গোপিনীসকলৰ মাজৰ সকলোতকৈ বৃদ্ধা এগৰাকীয়ে কোঠাৰ পূৱ দিশে আইৰ বাবে আসন পাতে। আসনৰ ওচৰতে কলপাতৰ ওপৰত এটা ডাঙৰ কাঁহৰ বটা বা পিতলৰ শৰাই ভক্তিভাৱে স্থাপন কৰি তাত পাট বা মুগাৰ এসাজ কাপোৰ লগতে গাম খাৰুকে আদি কৰি সোণ-ৰূপৰ বিভিন্ন অলঙ্কাৰ সজায় আৰু এখন আগলি কলপাতত বা কৌ পাতত পায়স, মিঠৈ, কল আদি সজাই লগত ফুল আৰু তিনি বা পাঁচখন থুৰীয়া তামোল দি ধূপ-ধুনা, মিঠাতেলৰ চাকি জ্বলাই আইলৈ বুলি আগবঢ়ায়। এই কামখিনি সম্পন্ন কৰাৰ পাচত আইলৈ পতা আসনত যি গৰাকী ল'ৰা -ছোৱালী বা ব্যক্তিৰ আই দেখা দিয়ে সেই গৰাকীক বহুৱায় আৰু ব্যক্তি গৰাকীকে সাক্ষাৎ ভগৱতী বা আই বুলি গণ্য কৰে।

আসন-শৰাই আদি সজোৱা কাৰ্য শেষ হ'লে ঘৰখনৰ মূল তিৰোতা গৰাকীয়ে এটি গুৱা-পাণ আগবঢ়াই সেৱা কৰি শৰাই উৰ্ছগা কৰে। গোপিনী সকলেও তুতি-প্ৰাৰ্থনা কৰি আই নাম গায়। ইয়াৰ পাছত সকামৰ পায়স ন ভাগ সজাই তাৰে এভাগ থুৰীয়া তামোলৰ সৈতে আই দেখা দিয়া ব্যক্তিগৰাকীক সেৱা সৎকাৰ জনাই তেওঁলৈ প্ৰথমে আগবঢ়াই দিয়ে আৰু ইয়াৰ পাছতে গোপিনীসকলক দিয়ে। গোপিনীসকলেও সমস্বৰে আইক পায়স গ্ৰহণ কৰিবলৈ তুতি-মিনতি কৰে আৰু তেওঁ স্পৰ্শ কৰাৰ পাছতহে গোপিনীসকলে গ্ৰহণ কৰে। পকা পখী সকলে পায়সৰ উপৰিও সাজপানী আৰু কুকুৰাৰ

মাংস উছৰ্গা কৰে। এনেদৰেই চুতীয়াসকলে বসন্ত ৰোগ হ'লে আই সকাম পাতে আৰু এই সকাম সাধাৰণতে দিনৰ বাৰ বজাৰ পাছত পাতে।

**অপেশ্বৰীৰ সকাম ঃ** ঘৰৰ কাৰোবাৰ জ্বৰ হৈ হৈ শুকাই-খীণাই গ'লে, একাঙ্গী হ'লে অথবা সৰু ল'ৰা-ছোৱালীৰ মাত নোহোৱাকৈ থাকিলে প্ৰচলিত লোক বিশ্বাস অনুসৰি সেয়া অপেশ্বৰীৰ ৰোষৰ কাৰণে হৈছে বুলি চুতীয়া সকলে বিশ্বাস কৰে আৰু অপেশ্বৰীৰ সন্তুষ্টিৰ কাৰণে সকাম পাতে। অৱশ্যে কেতিয়াবা মঙ্গলতিৰ ওচৰত মঙ্গল চোৱাই মঙ্গলতিৰ নিৰ্দেশ অনুসৰিহে এই সকাম অনুষ্ঠিত কৰে। এই সকামৰ প্ৰধান উপকৰণসমূহ হ'ল কেঁচা পিঠাগুড়ি, এৰাঁ গাখীৰ আৰু কল। সকামৰ দিনা ঘৰৰ সকলো ব্যৱহাৰ কৰি থকা বিছনা-কাপোৰ আদি ধুই নিকা কৰাৰ পাছত চোতাল আৰু ঘৰৰ মজিয়া গোবৰ মাটিৰে ভালকৈ মচি-কাচি লয় আৰু চোতালৰ আগত এই সকাম অনুষ্ঠিত কৰে। এই সকামলৈ পাট-গাভৰু ছোৱালীকহে গোপিনী হিচাবে নিমন্ত্ৰণ কৰে যদিও দুই এগৰাকী বয়স্ক তিৰোতাকো নিমন্ত্ৰণ কৰা হয়। গোপিনীসকলে চোতালত বৃত্তাকাৰে আসন গ্ৰহণ কৰে আৰু মাজত উপকৰণসমূহ ৰাখে। এখন ডলা, কুলা বা চালনীত শুদ্ধ বগা কাপোৰ পাৰি তাৰ ওপৰত আগলি কলপাতত সকামৰ উপকৰণ পিঠাগুড়ি, গাখীৰ, কল, গুড়ৰ এটি ভাগ সজাই ফুল, থুৰীয়া তামোলেৰে সজ্জিত কৰি এগছি চাকি জ্বলাই অপেশ্বৰীৰ নামত আগবঢ়ায় আৰু জ্বৰ হোৱা ব্যক্তিগৰাকীক সেৱা কৰিবলৈ কয়। বয়স্ক তিৰোতা গৰাকীয়ে হৰি ধ্বনি দি অপেশ্বৰীক তুতি-মিনতি কৰি উৰ্ছগা কৰা কাৰ্য সম্পন্ন কৰে। ইয়াৰ পাছত গোপিনীসকলে প্ৰচলিত অপেশ্বৰীৰ নাম লয় আৰু যাৰ কাৰণে সকাম অনুষ্ঠিত কৰা হৈছে তেওঁক পুনৰ সেৱা গ্ৰহণ কৰিবলৈ দি অপেশ্বৰীক সেৱকীৰ দোষ মৰিষণ কৰিবলৈ প্ৰাৰ্থনা জনাই সেৱকীকো সোনকালে আৰোগ্য হ'বলৈ আৰ্শীবাদ দিয়ে। এইখিনি কৰি উঠি উপকৰণ সমূহ গোপিনী সকলে ভাগ-বটোৱাৰা কৰি গ্ৰহণ কৰে। অপেশ্বৰীলৈ বুলি আগবঢ়োৱা ভাগটো সজোৱা ধৰণেৰে ছগৰাকী মান গোপিনীয়ে ভক্তি সহকাৰে মূৰৰ ওপৰত লৈ বাৰীৰ পাছফালে কঠিয়া তলী বা মুকলি পথাৰত থৈ আহেগৈ।

**জল-দেৱতাৰ সকাম ঃ** এই সকামত সাধাৰণতে যদি কাৰোবাৰ ভৰিৰ খজুৱতি আৰু পানী জ্বলাৰ নিছিনা ফোঁহা হৈ বহুদিন ভাল নোহোৱাকৈ থাকে, তেতিয়া মঙ্গলতিৰ কাষ চাপে আৰু মঙ্গলতিয়ে জল দেৱতাৰ দোষ বুলি কলে এই সকাম পাতে। মঙ্গলতিয়ে যেনে ধৰণৰ নিৰ্দ্দেশ দিয়ে তেনে ধৰণেৰে জল ডাঙৰীয়াৰ সকাম কৰে। কেতিয়াবা যিজন ব্যক্তি তেনে অসুখত আক্ৰান্ত হয় তেওঁ নিজে কলপটুৱাৰ এটি দোণ্ডত অলপ বগাচাউল, তুলসী পাত, দুবৰি বন, ফুল আৰু লগতে সৰিয়হ তেলৰ বন্তি জ্বলাই কোনো নৈ বা বিলৰ পাৰলৈ গৈ ভক্তিভাৱে জলদেৱতাক সেৱা জনাই পানীত উটাই দিয়ে। যদি সৰু ল'ৰা ছোৱালী আক্ৰান্ত হয়, তেতিয়া মাক বা দেউতাক লগত যায়। অন্যহাতে



মঙ্গলতিয়ে অপৰাধ গুৰুতৰ বুলি ক'লে বগা মাছ (যেনে- ৰৌ, বাহু, বৰালি, কুৰি আদি), বগা শাক-পাচলি (যেনে - আলু, মূলা, কোমোৱা জাতিলাও আদি) আৰু বগা চাউলেৰে কেইজনমান ভকত মাতি চাউল খুৱায়। এই সকামক জল ডাঙৰীয়াৰ চাউল খোৱা সকাম বুলি কোৱা হয়। এই সকাম সাধাৰণতে নৈ বা বিলৰ পাৰত বাস কৰা চুতীয়া সকলৰ মাজত বহুল ভাৱে প্ৰচলন আৰু আজিও সেই নৈ পৰীয়া চুতীয়া সকলে জল দেৱতাৰ নামত সকাম-নিকাম পাতিয়েই আছে। ইয়াৰ উপৰিও গাঁৱলৈ ওলোৱা বা সোমোৱা ৰাস্তাত যদি নৈ পাৰ হ'ব লাগে, তেতিয়া হ'লে কোনো শুভ কামত যাত্ৰা কৰোঁতে সেই নৈত জল-দেৱতাৰ প্ৰতি তামোল-পাণ আগবঢ়াই ভক্তি ভাৱে সেৱা জনাইহে যাত্ৰা কৰে।

**ডাঙৰীয়াৰ সকাম ঃ** গাওঁ বাসীক ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে প্ৰতিখন গাঁৱতে এজন গাওঁ দেৱতা থাকে বুলি চুতীয়া সকলে বিশ্বাস কৰে। এওঁকে চুতীয়া সকলে গাওঁ ডাঙৰীয়া বা বুঢ়া ডাঙৰীয়া বুলি কয়। গাঁৱৰ ওচৰত থকা সকলোতকৈ ডাঙৰ গছজোপাতে বুঢ়া ডাঙৰীয়া থাকে বুলি গাওঁবাসীয়ে বিশ্বাস কৰে আৰু সেইবাবে দোক-মোকালি, দুপৰীয়া বা সন্ধিয়া সময়ত সৰু সৰু ল'ৰা ছোৱালীক গছজোপাৰ ওচৰলৈ যাবলৈ নিদিয়ে।

চুতীয়া সকলৰ বিশ্বাস যে, বুঢ়া ডাঙৰীয়াই গাওঁবাসীক সকলো বিপদ আপদৰ পৰা ৰক্ষা কৰি থাকে। কাৰোবাৰ ঘৰত কিবা বিপদ আপদ ঘটাৰ সম্ভাৱনা থাকিলে বুঢ়া ডাঙৰীয়াই সেই কথা আগতীয়াকৈ গৃহস্থক জনাই দিয়ে। চুতীয়া সকলৰ লোক বিশ্বাসমতে মূৰত এটা ডাঙৰ পাগুৰি মাৰি হাতত এডাল ডাঙৰ লাঠি লৈ বুঢ়াডাঙৰীয়া গোটেই গাঁৱত ৰাতি ঘূৰি-ফুৰে আৰু বিপদৰ সম্ভাৱনা থকা মানুহৰ ঘৰৰ নঙলাত লাঠি ডালেৰে শব্দ কৰি কোব মাৰি বিপদৰ আগ জাননী দিয়ে। নঙলাত মৰা কোবৰ শব্দ শুনিলে সেই ঘৰ মানুহে মঙ্গলতিৰ কাষ চাপে আৰু মঙ্গলতিয়ে মঙ্গল চাই বিপদ-আপদ খণ্ডনৰ কাৰণে যি বিধান দিয়ে, সেইমতে গৃহস্থই প্ৰতিকাৰ কৰে। আনহাতে বুঢ়া ডাঙৰীয়াই বিপদৰ জাননী দিয়াৰ বাবে এভাগি সকাম পাতে। এই সকামকে বুঢ়া ডাঙৰীয়াৰ সকাম বুলি কোৱা হয়। বুঢ়া ডাঙৰীয়া সকামৰ প্ৰধান উপকৰণ হ'ল কেচাঁপন্থী সকলৰ কেঁচা পিঠা গুড়ি বা পায়স, কল আৰু পকা পন্থী সকলৰ ক্ষেত্ৰত সাজপানী, মাছ, মাংস আদি। এই সকাম কোনোৱে আগবেলা আৰু কোনো কোনোৱে সন্ধ্যাবেলা পাতে। সকামৰ দিনা গৃহস্থই ঘৰ দুৱাৰ ভালকৈ মচি-কাচি সকামৰ উপকৰণসমূহ সকাম পতাৰ ঠাইত মজুত কৰি ৰাখে। কেঁচা পন্থীৰ সকামত ভকত সকল আহি পালে তেখেতসকলক উপকৰণসমূহ চমজাই দি এটি সেৱা জনাই সবাহৰ কাম আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। ভকত সকলৰ মাজৰ পৰা নিৰ্দিষ্ট দেউৰী-বিলনীয়াই যদি পায়স ৰান্ধিব লগীয়া হয়, তেতিয়া হ'লে টো-খুটি মাৰি পায়স ৰন্ধাৰ কাম আৰম্ভ কৰে। পায়স ৰন্ধা হ'লে এটি কাঁহৰ ডাঙৰ বটাত বটাটোৰ জোখত কাটি লোৱা এখনি আগলি কলপাত পাৰি তাত কিছু পায়স

আৰু কেন্দ্ৰীয় চৰকাৰৰ ত্ৰুটিপূৰ্ণ আৰু অদূৰদৰ্শী শাসন নীতিৰ ফলশ্ৰুতিত দাঁতিকাষৰীয়া পাহাৰীয়া ৰাজ্যবোৰ বৰ অসমৰপৰা এখন এখনকৈ আঁতৰি গৈ নিজ নিজ সুকীয়া ৰাজ্য গঠন কৰি ল'লে। ফলত অসম ৰাজ্যখন তেনেই সংকুচিত হৈ পৰিল। এই ক্ষুদ্ৰ ৰাজ্যখনৰ ভিন্ ভিন্ জাতিসত্বাৰ মাজতো আজি কিছু কালৰপৰা গোষ্ঠী চেতনা প্ৰৱল হৈ পৰিছে, যিটো চেতনা অসমৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতিকূলে যোৱা বুলি ক'ব পাৰি। প্ৰাচীন কালৰপৰা আৰম্ভ কৰি বৰ্তমানলৈকে সংঘটিত হোৱা ৰাজনৈতিক পৰিক্ৰমাৰ পটভূমিত চুতীয়াসকলৰ স্থিতি অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

ভাৰতবৰ্ষৰ অন্তিম উত্তৰ-পূব প্ৰান্তত অসম ৰাজ্য অৱস্থিত। এই ভৌগোলিক অৱস্থিতিৰ বাবেই অসমে ভাৰতবৰ্ষৰ মূল ৰাজনৈতিক পৰিক্ৰমাত নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰিব পৰা নাছিল। এই ৰাজ্যত আৰ্য সংস্কৃতিৰ প্ৰভাৱ বিস্তাৰ হ'লেও ইয়াৰ অনাৰ্য মূলীয় মঙ্গোলীয় উপাদানবোৰে নিজ নিজ বৈশিষ্ট্য বজাই ৰাখিব পাৰিছিল। সীমান্তৰ এখন ৰাজ্য হিচাপে দাঁতি কাষৰীয়া চীন, বাৰ্মাদেশ/ব্ৰহ্মদেশ (ম্যানমাৰ), তিব্বত, ভূটান, নেপাল আৰু বঙ্গদেশৰ লগত বিভিন্ন সময়ত অসমৰ সাংস্কৃতিক বিনিময় ঘটিছিল। ঘাইকৈ চীন, ব্ৰহ্মদেশ আৰু সেই সূত্ৰে দক্ষিণ-পূব এচিয়াৰ লগত চুতীয়াসকলৰ জৰিয়তেই প্ৰাচীন কালত সকলো প্ৰকাৰৰ দিয়া-লোৱাৰ পৰম্পৰা অব্যাহত আছিল। কেৱল সাংস্কৃতিক দিশতে নহয়, এইবোৰ দেশৰ লগত বাণিজ্যিক লেনদেনো চলিছিল। অতি পুৰণি কালতে ভাৰতবৰ্ষৰ সিন্ধু উপত্যকাৰপৰা গঙ্গা নদীৰ উপত্যকাৰ উত্তৰেদি হিমালয়ৰ দক্ষিণ পাদ ভূমিয়েদি এটা প্ৰশস্ত স্থল-বাণিজ্য পথ সদিয়াৰ মাজেদি চীনৰ ৱিমা অঞ্চল পাইছিলগৈ। এই পথটোৰ কথা চীনাসকলে জানিব পাৰি খ্ৰীঃ পূঃ প্ৰথম শতিকাতে ইউনান অঞ্চল জয় কৰিছিল। পাছত চীনা সম্ৰাটে মেকং আৰু মেনাম নদীৰ মাজৰ বাট ডোখৰৰ কাষতে পথ নিয়ন্ত্ৰণৰ এটা ঘাটিও পাতিছিল। পশ্চিম এচিয়াৰপৰা দক্ষিণ পূব এচিয়ালৈ যোৱা এইটোৱেই আটাইতকৈ সুচল পথ আছিল বুলি জনা যায়।[৪২] পুৰণি অসমৰ ব্যৱসায়-

[৪২] ড° মোহিনী কুমাৰ শইকীয়া, 'অসমৰ "কুণ্ডিল-শদিয়া" আৰু "দেউৰী-চুতীয়া"', কুণ্ডিল, ৪ৰ্থ সংখ্যা, গোলাঘাট, ২০০০, পৃঃ ৩৯; B. K. Barua, **A Cultural History of Assam**, vol.I., Guwahati, 1951, pp.100f.; বঙ্গদেশৰ চুলতান গিয়াচুদ্দিন ইয়াজ তুগ্ৰিল খাঁ ওৰফে গিয়াচুদ্দিন আউলিয়াই অসমৰ মাজেদি এই পথেৰেই চীন দেশলৈ যোৱাৰ চিন্তা কৰি বঙ্গদেশত পৰা এই পথটোৰ অংশখিনি মেৰামতি কৰাইছিল। বঙ্গদেশৰ জনমানসত এইজনা সাধু চুলতান কবীৰ বুলি পৰিচিত আছিল আৰু তেওঁৰ নামেৰেই সেই পথটোকে কবিৰৰ আলি বোলা হৈছিল। চুতীয়া ৰজা ৰত্নধ্বজপালে তেওঁৰ ৰাজধানী সদিয়াৰপৰা কমতা ৰাজ্যলৈ অভিযান চলাওঁতে এই পথটোকে পুনৰ নিৰ্মাণ কৰিছিল। অন্যথাই কল্পনাতীতভাৱে অতি কম সময়ৰ ভিতৰতে এটা নতুন পথ নিৰ্মাণ কৰাটো সম্ভৱ নহ'লহেঁতেন। পৰৱৰ্তী কালত কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ দিনত (১৫৪০-৮৪ খ্ৰীঃ) তেওঁৰ ভাতৃ গোঁহাই কমলে এই পথটো বৰ্তমান লখিমপুৰ জিলাৰ নাৰায়ণপুৰলৈকে পুনৰ নিৰ্মাণ কৰিছিল বাবে এই অংশটোক গোঁহাই কমল আলি বোলা হৈছিল। আহোম স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্বকালত (১৬০৩-৪১ খ্ৰীঃ) পুনৰ এই পথৰ ভগা অংশ মেৰামতি কৰা হৈছিল। পুনৰনিৰ্মিত এই অংশটো ৰাজগড় আলি নামে জনাজাত হয়। এই পথৰ ভগ্নাৱশেষ এতিয়াও অসম আৰু অৰুণাচলৰ কোনো কোনো অংশত দেখিবলৈ পোৱা যায় - ড° মোহিনী কুমাৰ শইকীয়াৰ পূৰ্বোক্ত প্ৰবন্ধ।



বাণিজ্য, মানুহৰ গমন-আগমন, সাংস্কৃতিক বিনিময় আদিত এই পথটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। চুতীয়া ৰাজ্যৰ মাজেদি যোৱাৰ কাৰণে সদিয়া এখন প্ৰধান বাণিজ্য কেন্দ্ৰ হৈ পৰিছিল আৰু ইয়াৰ অধিবাসীসকলে বাণিজ্যিক লেন-দেন কৰি ৰাজ্যখন সমৃদ্ধিশালী কৰিব পাৰিছিল। আনহাতে তেওঁলোক বিভিন্ন লোকৰ বিভিন্ন সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল আৰু সেইবোৰে তেওঁলোকৰ সংস্কৃতিত প্ৰভাৱ পেলাইছিল।

## জনবিন্যাস

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্য এখন 'নৃতাত্ত্বিক যাদুঘৰ'। ভাৰতৰ দৰে অসমো পৃথিৱীৰ সকলো মানৱগোষ্ঠীৰ বাসভূমি। প্ৰাক্ ঐতিহাসিক কালৰেপৰা বিভিন্ন সময়ত বিভিন্ন মানৱগোষ্ঠীৰ লোক ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তইদি অথবা অসম ৰাজ্যৰ উত্তৰ-পূব সীমান্ত বা উত্তৰৰ গিৰিপথেদি ইয়াত প্ৰৱেশ কৰি ইয়াতে নিগাজিকৈ থাকি ইয়াৰ সভ্যতা-সংস্কৃতি গঢ় দিছে। গতিকে বহল অৰ্থত আমি আজি যাক অসমীয়া সংস্কৃতি বুলি কওঁ, সেয়া কোনো এটা বিশেষ মানৱ বা জনগোষ্ঠীৰ একচেটীয়া সম্পত্তি নহয়। ক্ষুদ্ৰ জাতিসত্বাৰপৰা আৰম্ভ কৰি বৃহৎ জাতিলৈকে সকলোৱে ইয়াৰ গঠন আৰু বিকাশত অৱদান আগবঢ়াই আহিছে। এখন ফুলনিৰ শোভা যেনেকৈ বিভিন্ন ৰঙৰ সৰু-বৰ বিভিন্ন ফুলে বৰ্দ্ধন কৰে, তেনেকৈয়ে এটা সংস্কৃতিকো বিভিন্ন জাতিৰ বিভিন্ন কৃষ্টিৰ সমাহাৰে এটা সুন্দৰ ৰূপত সজাই তোলে।

ভাৰতবৰ্ষত এতিয়ালৈকে আদিম মানৱৰ কোনো জীৱাশ্ম পোৱা হোৱা নাই। কোনটো মানৱগোষ্ঠীৰ লোক কেতিয়া আহি এই দেশত থিতাপি লৈছিলহি এই কথা খাটাংকৈ কোৱা টান। কিন্তু তেওঁলোকৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ স্বাভাৱিক প্ৰক্ৰিয়াতে গঢ়ি উঠিছে বিশাল ভাৰতীয় সংস্কৃতি, যাৰ নিজস্ব ঐতিহ্য, সৌন্দৰ্য আৰু মহত্ব আছে। অসমৰ ক্ষেত্ৰতো একেই কথা।

মানৱ প্ৰজাতি (human species)ৰ শ্ৰেণী বিভাজন (classification) ফৰাচী পৰ্যটক বাৰ্ণিয়াৰে (Bernier) সোতৰ শতিকাতে (১৬৮৪ খ্ৰীঃ) প্ৰথম আৰম্ভ কৰিছিল। মানৱ প্ৰজাতিৰ দৈহিক বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ এই বিভাজন কৰিছিল। ইয়াৰ আগতে খ্ৰীঃপূঃ ২০০ মানতে চীনাসকলে ছালৰ ৰঙৰ ওপৰত গুৰুত্ব দি মানৱ প্ৰজাতিক পাঁচটা ভাগত বিভক্ত কৰিছিল। ১৭২১ খ্ৰীঃত ব্ৰেডলী (Bradley)য়েও ছালৰ ৰঙৰ ওপৰতে মানৱ প্ৰজাতিক ১। বগা (White), ২। নিগ্ৰো/ক'লা (Negro) আৰু ৩। মূলাটো/মধ্যৱৰ্তী (Mulatto/Intermediate) নামেৰে তিনিটা মূল ভাগত বিভক্ত কৰিছিল। ব্ৰেডলীৰ এই বিভাজনত হালধীয়া ৰঙৰ মঙ্গোলীয়সকলৰ উল্লেখ নাই। ছালৰ ৰঙৰ ওপৰত নিৰ্ভৰ কৰি জাৰ্মান বিজ্ঞানী ব্লুমেনবেকে (Blumenback)ও মানৱ প্ৰজাতিক

আৰু কেইটামান কল, তিনি বা পাঁচখন থুৰীয়া তামোল দি সজাই লয় আৰু এগছি মিঠাতেলৰ বন্তি জ্বলাই ডাঙৰীয়াৰ উদ্দেশ্যে আগবঢ়ায় আৰু পকা পন্থীসকলে সাজপানী আৰু মাছ বা মাংসৰ তৰকাৰী আগবঢ়াই গৃহস্থক সেৱা ল'বলৈ কয় আৰু ভকত সকলে 'অ ৰাম, অ' হৰি' ধ্বনি দি সেৰকীক কুশলে-মঙ্গলে ৰাখিবলৈ বুঢ়া ডাঙৰীয়াৰ প্রতি প্রাৰ্থনা জনায় আৰু সেৰকীক আৰ্শীবাদ দি সকামৰ সামৰণি মাৰে। ইয়াৰ পাছত উপকৰণসমূহ ভাগ-বিত কৰি গ্রহণ কৰি সকলো ঘৰা-ঘৰি যায়গৈ। এইখিনিতে উল্লেখযোগ্য যে, যি সকলে সময় মতে উক্ত সকাম পাতিবলৈ সমৰ্থ নহয়, সেই সকলে যিজোপা গছত বুঢ়া ডাঙৰীয়া থাকে বুলি বিশ্বাস কৰে সেই গছৰ গুৰিত এগছি বন্তি জ্বলাই আগলৈ সকাম পাতিম বুলি মনস্থ কৰি সেৱা জনায়। ইয়াক ডাঙৰীয়াৰ নামত আগ কৰা বুলি কোৱা হয় আৰু পাছত গৃহস্থই তেওঁৰ নিজৰ সুবিধা অনুসৰি সকাম অনুষ্ঠিত কৰে।

**গুৰু সকাম ঃ** এই সকাম মঙ্গলতিৰ নিৰ্দেশক্রমে পতা হয়। কাৰোবাৰ ঘৰত অসুখ-বিসুখ আৰু সেই অসুখ সোনকালে আৰোগ্য নহ'লে মঙ্গলতিৰ দ্বাৰা মঙ্গল চোৱাই গুৰুদোষ আছে বুলি জানিলে এই সকাম বৃহস্পতিবাৰে দিনৰ আগবেলা অনুষ্ঠিত কৰে। এই সকামৰ প্ৰধান উপকৰণ সমূহ হ'ল একমাত্ৰ কেঁচা পিঠাগুড়ি, গুড়, এঁৰা গাখীৰ আৰু কল। এই সকাম কোনো কোনোৱে চোতালত আৰু কোনো কোনোৱে ঘৰৰ ভিতৰত পাতে। ওপৰত বৰ্ণনা কৰা ডাঙৰীয়াৰ সকামৰ দৰে এই সকামো একে ধৰণেৰে সম্পন্ন কৰা হয়।

**মৃতকৰ জলপান ঃ** ঘৰখনত সঘনে অপায়-অমঙ্গল হৈ থাকিলে বা সপোনত মৃত পিতৃ-মাতৃ বা পূৰ্ব পুৰুষৰ কাৰোবাক দেখা পালে চুতীয়া সকলে মৃতকৰ জলপান খুৱায়। এই জলপান খোৱাত বিশেষ কোনো আনুষ্ঠানিকতা অৱলম্বন নকৰে। সপোনত দেখা মৃতকে খাই ভালপোৱা জা-জলপান আৰু নিচাজাতীয় কানি, ভাং আদি কেঁচা পন্থীসকলে দুজনমান ভকত মাতি আনি সেৱা সৎকাৰ জনাই ভোজন কৰোৱায়। অন্যহাতে পকা পন্থীসকলে সাজপানী, মাছ বা মাংসৰে সাধুবুঢ়া আৰু দুজনমান ভকত মাতি আনি ভোজন কৰোৱায়। এনে ধৰণেৰে চুতীয়া সকলে মৃত ব্যক্তিক সপোনত দেখিলে প্ৰাচীন কালৰ পৰাই মাজে সময়ে মৃতকৰ নামত জা-জলপান খুৱাই আহিছে।

**শনি, মঙ্গল গ্রহৰ চাউলখোৱা ঃ** কাৰোবাৰ ঘৰত সঘনে অপায়-অমঙ্গল, বিপদ-আপদ হৈ থাকিলে এই চাউলখোৱা অনুষ্ঠিত কৰা হয়। কেঁচা পন্থীসকলে এই চাউল খোৱাত সকলো ক'লা ৰঙৰ উপকৰণ, যেনে- ক'লা আহু বা বাও ধানৰ চাউল, ক'লা মাছ শ'ল, গ'ৰৈ, মাগুৰ, কাৱৈ ইত্যাদি বা ক'লা হাঁহ, পাৰ, ৰঙালাও, কলডিল, মাটিমাহ আদি আৰু পকা পন্থীসকলে উল্লিখিত উপকৰণসমূহৰ উপৰিও সাজপানী, ক'লা মতা কুকুৰা আদি উপকৰণ ব্যৱহাৰ কৰে। শনি চাউলখোৱাৰ এই সকামত পোৱা মাছৰ পিটিকা এটা বিশেষ উপকৰণ আৰু চাউল খোৱালৈ বিযুৰীয়া সংখ্যাৰ ভকত -



সাত জন বা ন জনক নিমন্ত্রণ জনোৱা হয়। চাউলখোৱাৰ দিনা নিমন্ত্রিত ভকতসকল আহি তেওঁলোকৰ মাজৰে এজনে ৰন্ধন কাৰ্য কৰে। ৰন্ধন কাৰ্য সম্পন্ন হোৱাৰ পাছত শনি, মঙ্গলৰ গ্ৰহৰ নামত ভাত-আঞ্জা-তৰকাৰী এগছি চাকি জ্বলাই আগবঢ়োৱা হয়। ইয়াৰ পাছত গৃহস্থই সেৱা লয় আৰু ভকত সকলে আশীৰ্বাদ দিয়ে। সচৰাচৰ অন্য চাউলখোৱা বা সকামৰ ধৰণেৰে সম্পন্ন কৰি ভকত-ৰান্ধনী-বিলনীয়া আৰু গৃহস্থ সমন্বিতে অন্ন গ্ৰহণ কৰে।

ওপৰত আলোচিত লৌকিক ধৰ্ম বিশ্বাস বিলাকৰ উপৰিও চুতীয়া সকলে সমূহীয়াকৈ নৈ-বিলত মাছ মাৰিবলৈ যাওঁতে জল-দেৱতাৰ, চিকাৰ কৰিবলৈ যাওঁতে বন দেৱতাৰ পূজা আদি অনুষ্ঠিত কৰে। ঘৰ-দুৱাৰ আদি সাজোঁতেও এগছি বন্তি জ্বলাই তামোল-পাণ এজোৰ আগলি কল পাতত আগবঢ়াই সেৱা এটা কৰি ঘৰৰ খুটা পোতা কাৰ্য আৰম্ভ কৰে। ইয়াৰ উপৰিও যিকোনো ধৰণৰ শুভ কাৰ্য আৰম্ভ কৰোঁতে বা যাত্রা আদি কৰোঁতে এগছি চাকি জ্বলাই ইষ্ট দেৱতাৰ নামত সেৱা জনাইহে কাম আৰম্ভ কৰে।

ওপৰত উল্লেখ কৰা সকাম-নিকামসমূহ চুতীয়া সকলে প্ৰাচীন কালৰে পৰাই পুৰুষানুক্ৰমে লৌকিক ধৰ্মীয় কাৰ্য হিচাবে পালন কৰি আহিছে।

এই লৌকিক ধৰ্মীয় বিশ্বাস বিলাক যে অসমত একমাত্র চুতীয়া সকলেই পালন কৰে এনে নহয়, ক্ষেত্ৰ অধ্যয়নৰ পৰা দেখা গৈছে যে অসমত বসবাস কৰা প্ৰায় বিলাক (নিজকে হিন্দু বুলি পৰিচয় দিয়া) জনগোষ্ঠীয়েই লোক বিশ্বাসৰ আধাৰত এনেধৰণৰ সকাম-নিকাম কৰি আহিছে। অৱশ্যে এনে সকাম কৰোঁতে মানি চলা নীতি নিয়ম আৰু আনুষ্ঠানিকতাৰ কিছু তাৰতম্য আছে। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ সামাজিক আৰু ধৰ্মীয় দৃষ্টিভংগীৰ পৰিবৰ্তন ঘটিছে। এই ক্ষেত্ৰত চুতীয়া সকলো ব্যতিক্রম নহয়। একালৰ জনজাতীয় প্ৰকৃতিৰ চুতীয়া সকলৰ সৰহ সংখ্যকেই মহাপুৰুষীয়া নৰ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি পকা পন্থা এৰি তেওঁলোকৰ সকাম-নিকাম বিলাক কেঁচা পন্থাৰে কৰিবলৈ লয়। আৰু বৰ্তমান বহুত চুতীয়াই অসমৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰচাৰ কৰা ধৰ্ম গ্ৰহণ কৰি পুৰণি কালত চুতীয়া সকলে সম্পন্ন কৰা সকলো সকাম বাদ দি বছৰত মাত্র এভাগি নাম পাতিবলৈ আৰম্ভ কৰিছে। এইটো সঁচা যে, এনেদৰে ধৰ্মীয় সংস্কাৰৰ নামত যদি সকলো বাদ দিয়া যায়, তেতিয়া হ'লে এদিন চুতীয়া সংস্কৃতি তথা অসমীয়া সংস্কৃতিৰ বৰ ভঁৰালৰ পৰা এই খণ্ডত বৰ্ণনা কৰা লৌকিক ধৰ্মীয় ক্রিয়া কৰ্ম আৰু অনুষ্ঠান বিলাক সম্পূৰ্ণ বিলুপ্ত হ'ব।

# চুতীয়াসকলৰ ভাষা

চুতীয়াসকলৰ প্ৰাচীন ভাষাৰ বিষয়ে অধ্যয়ন কৰিবলৈ যোৱাৰ পূৰ্বে মনত ৰাখিব লাগিব যে তেওঁলোক উত্তৰ-পূব ভাৰতত অতি প্ৰাচীন কালৰেপৰা বসবাস কৰি থকা বৃহৎ বড়ো জনগোষ্ঠীৰ একাংশ। বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইত বসবাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে কালক্ৰমত এওঁলোক ডিমাছা, গাৰো, চুতীয়া, ৰাভা, হাজং, তিৱা, মৰাণ, কক্‌বৰক (ত্ৰিপুৰী) আদি শাখাত বিভক্ত হয়। বড়োসকলৰ এই চুতীয়া নামৰ শাখাটো সুদূৰ পূবৰ সদিয়া অঞ্চলত বসবাস কৰিছিল আৰু প্ৰাচীন কালতে এখন ৰাজ্য স্থাপন কৰিছিল। আহোমসকলৰ ৰাজ্য প্ৰতিষ্ঠাতা চুকাফা অহাৰ সময়ত অৰ্থাৎ খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আগ ভাগত, ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূব ভাগত এওঁলোকৰ ৰাজ্যখনেই বোধহয় একমাত্ৰ ৰাজ্য আছিল। আহোমসকলে এই চুতীয়াসকলক **তি-উ-ৰা** বুলিছিল। সমসাময়িক আন আন জনগোষ্ঠী সমূহৰ দৰে চুতীয়া সকলৰো এসময়ত জনজাতীয় ভাষা আছিল।


চুতীয়াসকলৰ বৰ্তমান স্বকীয় জনজাতীয় ভাষা নাই। ভাষাতত্ত্ববিদ পণ্ডিতসকলৰ মতে বৰ্তমান অসমৰ দেউৰীসকলৰ কোনো কোনো ঠালৰ মাজত প্ৰচলন থকা ভাষাটোৱেই চুতীয়াসকলৰ পূৰ্বৰ ভাষা আছিল। দেউৰী বা দেউৰী-চুতীয়া ভাষা নামেৰে জনাজাত এই ভাষাটোৰ বিষয়ে কৰা গৱেষণাৰ ফচল সম্বলিত কেইবাখনো মূল্যবান গ্ৰন্থ পোৱা যায়। এই বিলাকৰ ভিতৰত ডেল্টনৰ **Descriptive Ethnology of Bengal**[১] আৰু ডব্লিউ. বি. ব্ৰাউনৰ **An Outline Grammar of the Deori Chutiya Language** প্ৰধান। এইবোৰৰ উপৰি, এণ্ডেলৰ **The Kacharis**, গ্ৰীয়েৰচনৰ **Linguistic Survey of India (L.S.I.)**, গেইটৰ **A History of Assam**, ড° সুনীতি কুমাৰ চেট্টাৰ্জীৰ **Kirata-Jana-Kriti**, ৰাজমোহন নাথৰ **The Background of Assamese Culture** আদি গ্ৰন্থতো চুতীয়া জাতিৰ ভাষা-সংস্কৃতি বিষয়ক মূল্যবান তথ্য পোৱা যায়। সকলো চুতীয়া লোকেই বৰ্তমান অসমীয়া ভাষা কয়। সংস্কৃতকৰণৰ ফলত তেওঁলোকে নিজৰ ভাষা ত্যাগ কৰি অসমীয়া ভাষা গ্ৰহণ কৰিলে।

প্ৰাচীন চুতীয়া ভাষাটো (অৰ্থাৎ বৰ্তমান দেউৰীসকলৰ ভাষাটো) বৃহৎ চীন-

১ এই গ্ৰন্থখন Tribal History of Eastern India নামেৰে ১৯৭৪ চনত পুনৰ মুদ্ৰিত হৈছিল। Cosmo Publication, New Delhi.



তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মীয় শাখাৰ এটা উপশাখা। ৰবাৰ্ট শেচফাৰ[২], গ্ৰীয়েৰচন[৩] আৰু ড° সুনীতি কুমাৰ চেট্টাৰ্জীয়ে[৪] চীন-তিব্বতীয় ভাষা পৰিয়ালক এনেদৰে ভাগ কৰিছে -




এই তথ্য চিত্ৰৰপৰা বুজা যায় যে বড়ো শাখাৰ অন্যান্য ভাষাৰ লগত এই ভাষাৰ সম্বন্ধ অতি ওচৰ চপা।

পূৰ্বে উল্লেখ কৰা ডব্লিউ. বি. ব্ৰাউনৰ **An Outline Grammar of the Deori Chutiya Language** নামৰ গ্ৰন্থখনৰ পাতনিত প্ৰথম পৃষ্ঠাৰ পাদটিকাতে ব্ৰাউনে কৈছে যে দেউৰী মানুহখিনিয়ে সাধাৰণভাৱে দেউৰী বুলি পৰিচয় দিয়ে যদিও তেওঁলোকৰ ভাষাটো চুতীয়া বুলিহে বেছিকৈ জনাজাত ... চুতীয়াসকলৰ হিন্দু চুতীয়া আৰু আহোম চুতীয়াসকলে তেওঁলোকৰ ভাষা হেৰুৱাই অৰ্ধ হিন্দুকৃত সাধাৰণ অসমীয়া সমাজত মিলি গ'ল, কিন্তু দেউৰীসকলৰ লগত থকা তেওঁলোকৰ গোষ্ঠীগত সম্পৰ্কৰ ওপৰত কেতিয়াও কোনেও প্ৰশ্ন তোলা নাই আৰু তেওঁলোক নিজেও একেটা গোষ্ঠীৰে লোক বুলি মুকলিকৈ মানি লয়।[৫]

২ Robert Shafeer, (cf. **Journal of the American Oriental Society**, Sep. 1940.

৩ Griner, **Linguistic Survey of india, Vol. III**, 1903.

৪ S.K.Chatterjee,, **Kirata-Jana-Krti**, 1974, pp. 22,25

৫ The people are generaly called Deories simply; the language more properly known as Chutiya ... the other two divisions of the race, the Hindu Chutiyas and Ahom Chutiyas have long since lost all trace of their language and origin and

সেইদৰে **Descripitive Ethnology of Bengal** নামৰ গ্ৰন্থখনত ডেল্টনে চুতীয়া ভাষা সম্পৰ্কে দিয়া মন্তব্য এনেধৰণৰ - আহোমসকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবৰ সময়ত ইয়াত চুতীয়াসকলেই আটাইতকৈ শক্তিশালী জাতি আছিল ... বিহিয়া নামৰ জনজাতিটোও চুতীয়াসকলৰ সৈতে একে গোষ্ঠীৰ। উজনি অসমৰ লালুং নামৰ জনগোষ্ঠীটোৱে নিজকে চুতীয়াৰে একে বংশৰ বুলি দাবী কৰালৈ চাই লালুংসকলো চুতীয়াসকলৰে একে মূলৰ হোৱাটো অসম্ভৱ নহয় ... লক্ষীমপুৰত দিক্‌ৰং নদীৰ পাৰত এখন আচুতীয়া গাঁও আছে। ইয়াৰ অধিবাসীসকলে নিজকে দেউৰী-চুতীয়া বুলি পৰিচয় দিয়ে আৰু তেওঁলোকে চুতীয়া নামৰ এটা আচহুৱা ভাষা কয়।[৬] উল্লেখ্য যে দেউৰী-চুতীয়াসকলৰ 'পাটৰ গঞা' নামে জনাজাত ফৈদটো বৰ্তমান হেৰাই গৈছে। কোনো কোনো লোকে ক'ব খোজে যে বৰ্তমান ধেমাজি আৰু নগাঁও জিলাত বসবাস কৰা তিৱা (লালুং)সকলেই এই পাটৰ গঞা ফৈদটো। তিৱাসকলৰ মাজত প্ৰচলন থকা 'পাটৰ', 'দেউৰী' আদি উপাধি এই প্ৰসঙ্গত উল্লেখযোগ্য।[৭] তিৱাসকলৰ ভাষাটো বড়ো ভাষা গোষ্ঠীৰ মাজৰে এটা শাখা আৰু দেউৰী-চুতীয়াসকলৰ ভাষাৰ লগত ওচৰ সম্পৰ্ক আছে। ১৮৮১ চনৰ লোকপিয়লৰ বিৱৰণ মতে দেউৰী চুতীয়াসকলে কোৱা ভাষাটোৰ কছাৰী ভাষাৰ লগত বহু মিল আছে আৰু সেই বাবেই চুতীয়াসকলক বড়ো গোষ্ঠীৰ এটা শাখা বুলিয়েই ধৰিব পাৰি।[৮]

চুতীয়া ভাষা সম্পৰ্কে ১৯৩১ চনৰ লোকপিয়লৰ বিৱৰণতো একে কথাকে কোৱা হৈছে। এই বিৱৰণ মতে চুতীয়া ভাষাটো এতিয়া চুতীয়াসকলৰ দেউৰী ফৈদটোৱেহে কয়। দেউৰীসকলৰ সৰহ সংখ্যকে বৰ্তমান লক্ষীমপুৰ জিলাত বাস কৰে।[৯] শেহতীয়াকৈ অসম চৰকাৰৰ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বিৱৰণত কোৱা হৈছে যে চুতীয়াসকলৰ চাৰিটা শাখাৰ ভিতৰত দেউৰী চুতীয়াসকলেহে চুতীয়াসকলৰ প্ৰাচীন ভাষা, ধৰ্ম আৰু ৰীতি-নীতি প্ৰায় অপৰিবৰ্তিত ৰূপত সংৰক্ষণ কৰি আছে।[১০]

চুতীয়াসকলৰ ভাষাটো আদি মধ্যযুগৰ কালছোৱাত উজনি অসমৰ প্ৰধান ভাষা আছিল। কাৰণ, সেই সময়ছোৱাত চুতীয়াসকলেই উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান জন সমষ্টি আছিল, আৰু বড়ো-কছাৰীসকলৰ সৈতে লগলাগি এই অঞ্চলৰ সমাজ-সংস্কৃতি তেওঁলোকেই নিয়ন্ত্ৰণ কৰিছিল। আহোমসকল অসমলৈ অহাৰ আগতে চুতীয়া ভাষাটো উজনি অসমৰ একমাত্ৰ জনপ্ৰিয় ভাষা হিচাপে পৰিগণিত হৈছিল। সেয়ে জি. এ. গ্ৰীয়েৰচনে **Linguistic Survey of India** নামৰ গ্ৰন্থত আহোমসকল অসমলৈ অহাৰ সময়ত চুতীয়া ভাষাটোৱেই উজনি অসমৰ একমাত্ৰ ভাষা আছিল বুলি উল্লেখ কৰিছে।[১১]

উল্লেখযোগ্য যে চুতীয়া আৰু কছাৰীসকল একেলগে বহু দিন ধৰি বাস কৰিছিল। আহোমসকল ১২২৮ খ্ৰীঃত সৌমাৰ পীঠ অৰ্থাৎ উজনি অসমত প্ৰৱেশ কৰোতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সদিয়াত চুতীয়াসকলৰ ৰাজ্য, তাৰ ওচৰতে শিৱসাগৰ অঞ্চলত মৰাণ, বৰাহী আৰু তেওঁলোকৰ পশ্চিম খণ্ড কছাৰীসকলৰ তলত আছিল। বহুতৰ মতে এই কেইটা জাতি বড়ো জাতিৰ ভিতৰত পৰে।[১২] ইয়াৰপৰা অনুমান হয় যে চুতীয়াসকলে সদিয়াত ৰাজ্য পাতি শাসন কৰিলেও বড়োসকলৰ লগত তেওঁলোকৰ ভৌগোলিক আৰু সাংস্কৃতিক সম্পৰ্ক আছিল আৰু ভাষাটোও একে আছিল। কিন্তু চুতীয়াসকলৰ ৰাজন্য গোষ্ঠীটোৰ হিন্দুকৰণৰ ফলস্বৰূপে আৰু বিশেষকৈ পৃথক ৰাজ্য এখনৰ ভিতৰত কোৱা ভাষা হিচাপে চুতীয়া ভাষাটো বড়ো ভাষাৰপৰা আনুমানিক দশম শতিকামানৰ পৰাই আঁতৰহৈ আহিছিল। এইখিনিতে মেজৰ হান্নেৰ মন্তব্য উল্লেখযোগ্য - তাম্ৰেশ্বৰী, আৰু বুঢ়া-বুঢ়ী মন্দিৰৰ পুৰোহিতসকল হ'ল দেউৰী-চুতীয়া। তেওঁলোকে বংশানুক্ৰমিকভাৱে এই কাম কৰি আহিছিল। তেওঁলোক অসমীয়া মানুহৰ চুটিয়া বা চুতীয়া নামৰ এটা শ্ৰেণী। আহোমসকলৰ প্ৰাধান্য বিস্তাৰৰ পূৰ্বে এটা সময়ত তেওঁলোকে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰত আজিকালিৰ সদিয়া আৰু চৈখোৱা জিলাত তেওঁলোকে প্ৰাধান্য বিস্তাৰ কৰিছিল। চুতীয়াসকলৰ নিজৰ বিৱৰণ মতে তেওঁলোক পুৰণি কামৰূপৰ হিন্দু ক্ষত্ৰিয় জাতিৰ বংশধৰ। (প্ৰয়াত মটক সেনাপতিৰ পৰিয়ালটো চুতীয়া আছিল।) তেওঁলোকৰ এই কিংবদন্তিৰ

---

have become merged in the general mass of semi Hinduised Assamese; but their original connection with the Deoris has never been disputed, and is freely acknowledged by themselves., W.B. Brown, **Deori-Chutiya Language**, Introduction, p. i

৬ The Chutias were the dominant race in Upper Assam when the Ahoms swarmed into the valley.... The tribe called Bihiya are of the same family, and as a tribe of the Lalongs in Upper Asam claim to be of Chutia descent, it is not unlikely that all the Lalongs are Chutias.... an isolated colony on the river Dikrung in Luckimpur, calling themselves 'Deori Chutia', were found, who had a peculiar language which they called Chutia...., E.T. Dalton, **Tribal History of Eastern India**, Calcutta, 1872, p.77

৭ **Census Report of India**, 1931, cited in K. Borua, **Deori-Chutiya Language**, Guwahati, 2002, p.4.

৮ The language spoken by the Deori Chutiyas has a strong affinity with Kachari, the Chutiyas may, therefore, be regarded as a branch of the Bodo race., **Census Report of India, Assam**, 1881, Chapter VI, p.17

৯ The Chutiya language is now spoken by Deori section of Chutiyas, most of whom are to be found in Lakhimpur., **Census Report of India, Assam**, 1931, cited in K. Barua, **Deori-Chutiya Language**, p.4.

১০ Among the four divisions of the Chutiyas, it is the Deori Chutiyas who are preserving the language, religion and custom of the Chutiya race with little change.; K. Barua, **Deori-Chutiya Language**,.p.4.

১১ The Chutiya language indeed, may fairly claim to be the original language of Upper Assam., **Linguistic Survey of India**, vol.III, part-II, p. 118-119.

১২ **সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৬০৭

সমৰ্থনত কব পাৰি যে কেৱল কোনো কোনো পুৰোহিত পৰিয়ালেহে জনা তেওঁলোকৰ ভাষাটোত বহুতো হিন্দী আৰু বৰ্মী শব্দ আছে। বৰ্মী ভাষাৰ শব্দবোৰ সম্ভৱত পালি ভাষাৰ পৰা হৈছে। ইয়াৰ পৰা এইটো সম্ভৱ যে তেওঁলোকৰ ভাষাটোৱে আদিতে এটা প্ৰাকৃত ভাষাই আছিল। টাই জাতিৰ লোকসকলৰ মতেও খোৱাম চুতীয়া বা চুতীয়া ভাষাটোৱেই আহোমসকল অসমলৈ অহাৰ সময়ত একমাত্ৰ লিখিত ভাষা আছিল।[১৩]

ভাষাবিজ্ঞানত Glottochronology ৰ পোহৰত দুটা পৰস্পৰ সম্পৰ্কযুক্ত ভাষাৰ পৰস্পৰ বিচ্ছিন্ন হোৱাৰ সময় কাল নিৰ্ণয় কৰা হয়।এই সম্পৰ্কে ভাষাবিদ H.A. Gleason-এ তেওঁৰ বিখ্যাত গ্ৰন্থ **An Introduction to Descriptive Linguistics**-অত লিখিছে - যদি দুটা ভাষাৰ মূল গাঠনি শতকৰা ৬৬ ভাগ মিল থাকে, তেনেহ'লে জানিব লাগিব যে ভাষা দুটা পৃথক হোৱা ১০০০ বছৰ হ'ল। আৰু যদি মূল গাঠনিৰ শতকৰা ৪৪ ভাগ মিল থাকে তেনেহ'লে অনুমান কৰিব লাগিব, ভাষাদুটা আঁতৰি অহা ২০০০ বছৰ হ'ল।[১৪]

চুতীয়া আৰু বড়ো ভাষাৰ শব্দ সম্ভাৰ অধ্যয়ন কৰিলে দেখা যায় যে - এই দুটা ভাষাৰ মূল শব্দ সম্ভাৰৰ শতকৰা ৫৫ ৰপৰা ৬০ ভাগ মিল পোৱা যায়। ইয়াৰপৰা এইটো অনুমান কৰিব পাৰি যে - ১২০০ ৰপৰা ১৫০০ বছৰৰ আগতে বড়োৰপৰা চুতীয়া ভাষা আঁতৰি আহি এটা স্বতন্ত্ৰ ভাষাৰ ৰূপ লৈছিল।

তলত চুতীয়া (দেউৰী) আৰু বড়ো ভাষাৰ মাজত কেনেধৰণৰ মিল দেখা পোৱা যায় তাৰ উদাহৰণ দিয়া হ'ল -

[১৩] The Deoree Sooteeahs are the hereditary officiating priests of the copper temple, and Boora Booree. They belong to a class of Assamese population deserving of notice, as the Sooteea or Chootyahs, who at one time previous to Ahom supremacy held power on the North and South bank of Burrumpooter, in the modern district of Suddyah and Saikwah, and according to their own account, are descendants of the original Hindoo Khetree races of ancient Kamarupa. (The family of the late Muttaok Senaputtee are Chootyahs). This tradition might derive some corroboration from the fact, that the language of this race, now only known to the families of the priests, contains a great proportion of Sanskrit and Hindee as well as Burmese words, which last are probably derived from Pali, and the whole language may, therefore have been originally one of the Pracrit dialects of the day; according to the Tai races also, the "Khwam Chootyah (or Chootyah) language appears to have been the only written language in existence at the period of their advent in Assam., Major S.F. Hannay, "Notes on Ancient temples and other remains in the vicinity of Suddyah, Upper Assam", **Journal of the Asiatic Society of Bengal**, June, 1848, p.468)।

[১৪] If 66 percent of the basic morpheme stock seems to be cognate in two languages, we may assume



(ক)

| চুতীয়া | বড়ো | অসমীয়া |
|---|---|---|
| আ | আং | মই |
| গাদু | গাঁদু | গাৰু |
| মুচ্য | মীচৌ | গৰু |
| বিফাং | বিফাং | গছ |
| থৈ | থৈ | তেজ |
| না | না | মাছ |

(খ) সামান্য পাৰ্থক্য সমাৰ্থক চুতীয়া আৰু বড়ো শব্দ -

| চুতীয়া | বড়ো | অসমীয়া |
|---|---|---|
| আ | আং | মই |
| না | নাং | তুমি |
| বা | বি | তেওঁ |
| মেঁউ | মৈদেৰ | হাতী |
| দু | দাউ | কুকুৰা |
| বাবা | আফা | দেউতা |
| গুঁই | গয় | তামোল |
| বিচু | বৈশাগু | বিহু |
| ভ্ৰিও | জি | কাপোৰ |
| চিং | চাগ্ৰি | নিমখ |
| কিঙ্ | খানাই | চুলি |
| কি | গিচি | বিচনি |
| মোচি | মান্‌সি | মানুহ |
| চগন | চিগুন | শগুন |
| চি | চৈমা | কুকুৰ |
| দোকা | দাওখা | কাউৰী |
| জ'কা | জাজাই | কঁকাল |
| অচিগী | অসুগুৰ | নখ |
| মেতু | মুফুৰ | ভালু |

চুতীয়া ভাষা আৰু বড়ো ভাষাৰ ব্যক্তি বাচক সৰ্বনামৰ সাদৃশ্য লক্ষ্য কৰিবলগীয়া-

that they have been separated for 1000 years. If 44 percent is cognate, 2000 years is the most probable period of separation., H.A. Gleason, **An Introduction to Descriptive Linguistics**, 1974, pp. 450f.

| পুৰুষ | একবচন | | | বহুবচন | | |
|---|---|---|---|---|---|---|
| | চুতীয়া | বড়ো | অসমীয়া | চুতীয়া | বড়ো | অসমীয়া |
| ১ম পুৰুষ | আঁ | আং | মই | জৌ | জৌং | আমি |
| ২য় পুৰুষ | ন | নীং | তুমি | লৌ | নীংচাৰ | তোমালোক |
| ৩য় পুৰুষ | বা | বি, বে | সি, তাই | বাউ | বেচীৰ, বিচীৰ | সিহঁত |

এনে উদাহৰণৰ উপৰি চুতীয়া ভাষাৰ **ত**ৰ ঠাইত বড়োৰ **দ**, **ক** ৰ ঠাইত **গ** ব্যৱহাৰ হোৱা অনেক শব্দ বিচাৰি পোৱা যায়।

দেউৰী-চুতীয়া ভাষাটো সুৰ প্ৰধান। সাধাৰণ, উচ্চ আৰু নিম্ন সুৰ অনুসৰি একেটা শব্দই ভিন ভিন অৰ্থৰ সৃষ্টি কৰে, যেনে -

সাধাৰণ = নি - পিখোৱা; চু - জন্তুৰ ওহাৰৰ বাট
উচ্চ = নি - যোৱা; চু - কাপোৰ ধোৱা
নিম্ন = নি - ধৰা; চু - কুকুৰৰ ভুক্-ভুকনি।[১৫]

দেউৰী চুতীয়া ভাষাৰ অধিকাংশ শব্দই স্বৰান্ত; ব্যঞ্জনান্ত শব্দ তেনেই কম। ম, ন, ঙ, ৰ - এই চাৰিটা ব্যঞ্জন ধ্বনিহে শব্দৰ অন্ত্যস্থানত ব্যৱহাৰ হোৱা দেখা যায়।[১৬]

চুতীয়া ভাষাৰ সৰলতা মন কৰিবলগীয়া। এই ভাষাত সকলো ফলৰ নাম 'ট' বৰ্ণত আৰম্ভ হৈছে। যেনে - টিজু (কঠাল), টিনু (আম), টিৰি (কল), টিকজী (বগৰী), টেজু (পনিয়ল), টিক (আমলখি) ইত্যাদি। তেনেকৈয়ে প্ৰায় সকলো পাচলিৰ নাম 'ম' আখৰেৰে আৰম্ভ হৈছে। যেনে - মিদিগঁ (কলদিল), মিৰিকা (কেৰেলা), মিৰুলি (মৰাপাট শাক) ইত্যাদি। সকলো নদীৰ নাম 'ডি' আখৰেৰে আৰম্ভ হৈছে। যেনে - ডিকৰাই, ডিগাৰু, দিচাং, ডিমৌ, ইত্যাদি।[১৭]

সময় বা কাল, সংখ্যা (একবচন/বহুবচন) আৰু পুৰুষ অতি সৰলভাৱে নিৰূপণ কৰা হয়। যেনে -

| ভাষা | বৰ্তমান | অতীত | ভৱিষ্যত |
|---|---|---|---|
| চুঃ | আঁ কেই | আঁ কেৰম | আঁ কেন |
| অঃ | মই যাওঁ | মই গলো | মই যাম |
| চুঃ | ন হায় | ন হাবেম | ন হাম |
| অঃ | তুমি/ আপুনি খায় | তুমি খালা | তুমি খাবা |
| চুঃ | লৌ কেই | লৌ কম | লৌ কন |
| অঃ | তোমালোক আহা | তোমালোক আহিলা | তোমালোক আহিবা |
| চুঃ | বা হাৰি | বা হাবেম | বা হাম |
| অঃ | সি খায় | সি খালে | সি খাব |
| চুঃ | বাউ পিয়াৰি | বাউ পিয়াবেম | মাউ পিয়ান |
| অঃ | সিহঁত ভাঙিছে | সিহঁত ভাঙিলে | সিহঁত ভাঙিব।[১৮] |

[১৫] ড° দিপালী বৰা, 'দেউৰী চুতীয়া ভাষা', **কুণ্ডিল**, ৪ৰ্থ সংখ্যা, সম্পাদনা ভৱকান্ত চুতীয়া, গোলাঘাট, ২০০০, পৃঃ ৩৫

[১৬] ঐ

[১৭] কিশোৰ দেউৰী, 'দেউৰী চুতীয়া ভাষা সংস্কৃতিৰ পৰিচয়', **সোণগিৰি**, ২০০২, পৃঃ ১৩৫/১৩৬)।



এই ভাষাত দুই প্ৰকাৰে লিঙ্গ নিৰ্ণয় কৰা হয়। প্ৰত্যয় সংযোগ কৰি আৰু শব্দৰ আগত স্ত্ৰীপুৰুষবাচক শব্দ ব্যৱহাৰ কৰি। এই ভাষাত স্ত্ৰী-প্ৰত্যয় হ'ল দুটা, - চি আৰু চিমা।

| | | |
|---|---|---|
| চি | গিৰা (বুঢ়া) | গিৰাচি (বুঢ়ী) |
| | পিচা (পো) | পিচাচি (জী) |
| চিমা | মুচু (গৰু) | মুচুচিমা (গাই গৰু) |
| | মেচা (বাঘ) | মেচাচিমা (বাঘিনী) |

মূল শব্দৰ আগত মুকাগো (পুৰুষ) আৰু মিচিগো (স্ত্ৰী) শব্দ ব্যৱহাৰ কৰিও লিঙ্গ নিৰ্ণয় কৰা হয়। যেনে -

মুকাগো মিচিগো (বোন্দা) মিচিগো মিদিগেঁ (জাঁই)
মুকাগো লেপেদুৰ (মতা ছাগলী) মিচিগো মচি (তিৰোতা)।[১৯]

পুৰুষ স্ত্ৰীবাচক ভিন্ন শব্দৰ ব্যৱহাৰো এই ভাষাত আছে। যেনে -

মুকা (স্বামী) মিচি (স্ত্ৰী)
পিচা (পুত্ৰ) আজি (বোৱাৰী)
কাই (ককাই) বুজি (বৌ)।[২০]

বড়ো ভাষাৰ লগত থকাৰ দৰে অসমীয়া ভাষাৰ লগতো দেউৰী-চুতীয়া ভাষাৰ সম্পৰ্ক আছে। অসমীয়া ভাষাত কিছুমান সম্বন্ধবাচক শব্দ চুতীয়া ভাষাৰপৰা অহা যেন লাগে। যেনে - চুতীয়া ভাষাৰ কাই/কাইটি, বাই/বাইটি, দাই/দাইটি, পেই, মমাই আদি শব্দবোৰ অসমীয়া ভাষাত যথাক্ৰমে ককাই/ককাইদেউ, বাই/বাইদেউ, দদাই/দদাইদেউ, পেহী/পেহীদেউ, মোমাই/মোমাইদেউ/মামা ৰূপ লৈছে।[২১]

চুতীয়া ভাষাৰপৰাই কিছুমান শব্দ অপৰিৱৰ্তীত ৰূপত অসমীয়া ভাষাত সোমাইছে বুলি অনুমান হয়। যেনে সম্বোধন বাচক শব্দ আই, বৈনাই, পৈ (স্বামী), মহা, ভাগিন, মাহী; কিছুমান বস্তুৰ নাম যেনে নাও, জাকৈ, চিৰি, কামি, কাঠি, চেৰেকি, দিন, হাল,

[১৮] ঐ, পৃঃ ১৩৬।

[১৯] ঐ, পৃঃ ১৩৬।

[২০] ড° দিপালী বৰা, পূৰ্ব উল্লেখিত প্ৰবন্ধ, পৃঃ ৩৬।

[২১] ঐ, পৃঃ ৩৭।

ইত্যাদি।[২২]

চুতীয়া ভাষা অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰি গিয়েৰচনে কৈছিল যে চুতীয়া ভাষা কোৱা মানুহৰ সংখ্যা কম কিন্তু ভাষাতত্ত্ব আৰু বুৰঞ্জীৰ দৃষ্টিকোণৰপৰা এই ভাষাৰ অধ্যয়ন প্ৰয়োজনীয়। এই ভাষাটোৱে বড়ো নামৰ ভাষাগোষ্ঠীৰ আদিম স্তৰৰ প্ৰতিনিধিত্ব কৰে এই বিষয়ে মোৰ কোনো সন্দেহ নাই। ডিমাচা বা পৰ্বতীয়া কছাৰী ভাষাৰ লগত এই ভাষৰ বহুতো ওচৰ সম্পৰ্ক কিন্তু ব্যাকৰণ পদ্ধতিত এই ভাষা বেছি পুৰণি। এই ভাষাত ক্ৰিয়াৰ সংযোগ বিশেষভাৱে মন কৰিবলগীয়া।[২৩] শেষত কব পাৰি যে চুতীয়া ভাষাটো বড়ো ভাষাৰপৰা জন্ম হোৱা এটা ভাষা, আৰু ই এসময়ত উজনি অসমত বহুলভাৱে প্ৰচলিত ভাষা আছিল। বৰ্তমান অতি কম সংখ্যক লোকৰ মাজত জীয়াই থকা ভাষাটোৰ অধ্যয়নে অসমীয়া ভাষাক চহকী কৰিব বুলি আৰু অসমৰ জনগাঁঠনি আৰু ইয়াৰ সামাজিক বুৰঞ্জী অধ্যয়নত প্ৰভূত সহায় কৰিব বুলি ভাবিবৰ থল আছে।

---

[২২] K. Barua, **Deori Chutia Language**, Guwahati, 2002, p. 17-18

[২৩] Under any circumstances the number of speakers of Chutiya is small, but language deserves study on account of its philological and historical interest. I do not think taht there can be any doubt of its representing the most archaic stage of the various languages grouped together under the name of Bodo. It is most nearly connected with Dima-sa or Hills Kachari, but is certainly more primitive in its grammatical system. The conjungation of the verb is specially worthy of notice., K. Barua, **Deori Chutia Language**, Guwahati, 2002, p.22

# লোকসংস্কৃতিত চুতীয়া জাতি

অসম বিভিন্ন জনগোষ্ঠীৰ বাসভূমি। সকলো জনগোষ্ঠীৰে নিজা সাংস্কৃতিক বিশিষ্টতা আছে। কালৰ সোঁতত এই জনগোষ্ঠীসমূহৰ মাজত সাংস্কৃতিক বিনিময়ৰ মাজেদি সমন্বয়ৰ এক উমৈহতীয়া সংস্কৃতি গঢ়ি উঠিছে। আধুনিক শিক্ষাৰ প্ৰবৰ্ত্তনে সকলো জনগোষ্ঠীৰ মানুহক এক উমৈহতীয়া সাংস্কৃতিক পৰম্পৰা দান কৰিছে। ৰাজনৈতিক, শৈক্ষিক, অৰ্থনৈতিক আদি কাৰণত বিভিন্ন জনগোষ্ঠীৰ মাজত হোৱা আদান প্ৰদানৰ ফলতে সংস্কৃতি সমন্বয়ৰ দিশত আগ বাঢ়িছে। শঙ্কৰদেৱ, মাধৱদেৱ, বেজবৰুৱা, গোহাঞিবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা আদিৰ চিন্তাই অসমীয়া সংস্কৃতিৰ গতিপথৰ নিৰ্দেশ দিছে। আধুনিক অসমীয়া সাহিত্য সংস্কৃতিৰ মাজত আন আধুনিক সভ্যতা সংস্কৃতিৰ মাজত থকাৰ দৰেই দুটা পৰম্পৰা সোমাই আছে - জনপ্ৰিয় মৌখিক লোকসংস্কৃতিৰ পৰম্পৰা আৰু লিখিত সাহিত্য সংস্কৃতিৰ পৰম্পৰা। এই দুয়োটা পৰম্পৰা সাহিত্য সংস্কৃতিৰ সমান্তৰাল প্ৰবাহ নহয়; দুয়োটা পৰম্পৰাৰ অবিৰাম আন্তঃক্ৰিয়া হৈ আছে আৰু এটাই আনটোক সমৃদ্ধ কৰি আছে। আধুনিক কবি সাহিত্যিকে লোকসংস্কৃতি, কিংবদন্তি (legend), পুৰাকথা (myth) আদিক সাহিত্যত নতুন ৰূপত নতুন অৰ্থ দান কৰি ব্যৱহাৰ কৰিছে আৰু আধুনিক সাহিত্য সংস্কৃতিৰ সকলো পৰিশোধিত আৰু পৰিবৰ্ত্তিত জনগণৰ চেতনাত সোমাই পৰিছে।

গ্ৰামীন অসমীয়া সমাজখনে আধুনিক ৰাজনীতি, অৰ্থনীতি, শিক্ষা আদিৰ তথ্যক কিদৰে নিজৰ ভাষা সংস্কৃতিৰ ভিতৰুৱা কৰে তাৰ এটা উদাহৰণ দেবেন্দ্ৰ নাথ আচাৰ্যৰ **অন্য যুগ অন্য পুৰুষ**ৰ বেংবেলেষ্টৰে বৰ্ণনা কৰা ব্ৰিটিছ সাম্ৰাজ্যবাদ আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কাহিনী। আধুনিক যুগত কি দৰে পুৰাকথাৰ সৃষ্টি হয় তাক বেংবেলেষ্টৰৰ কাহিনীৰ পৰা জানিব পাৰি। গান্ধীৰজাৰ বিষয়ে তেওঁ কোৱা কথা আধুনিক পুৰাকথা। জাতিৰ পিতা মহাত্মা গান্ধী লোকমানসত গৈ গান্ধীৰজা হৈছে। গান্ধীয়ে কোম্পানীক কৈছে - "মোৰ দেশখন টোকোনা কৰিলা। এতিয়া ভালে ভালে তোমালোক যোৱাহঁক, মই ৰজা হওঁ।' এই আধুনিক পুৰাকথাটোক সম্পূৰ্ণ অসত্য বুলিব নোৱাৰি। ৰাজনৈতিক সমস্যা এটাক ৰাজনীতিৰ ভাষাৰে প্ৰকাশ নকৰি বেংবেলেষ্টৰে নিজৰ চেতনাৰ ভিতৰুৱা কৰি নিজৰ ভাষাৰে প্ৰকাশ কৰিবলৈ যাওঁতে এই আধুনিক পুৰাকথাৰ সৃষ্টি হৈছে।

চুতীয়া জাতিটো অসমৰ এটা বুৰঞ্জীপ্ৰসিদ্ধ জাতি। জাতিটোৰ এক গৌৰৱোজ্বল

ইতিহাস আছে। বিভিন্ন কাৰণত এই জাতিৰ পূৰ্ণাঙ্গ ইতিহাস এখন প্ৰণয়নৰ কাম পলম হৈছে যদিও এই জাতিৰ ইতিহাস বিভিন্ন বুৰঞ্জী, লোক সংস্কৃতি, পুৰাকথা, লোক কাহিনী, কিংবদন্তি আদিৰ মাজত সোমাই আছে। চুতীয়া জাতিৰ ঐতিহ্য পৰম্পৰাৰ কথা লিপিবদ্ধ কৰোঁতে এডৱাৰ্ড গেইটে তেওঁৰ **A History of Assam**ত উল্লেখ কৰিছে যে চুতীয়াসকলৰ অসংখ্য পৰম্পৰাগত মতবাদ বা প্ৰথা (traditions) আছে। সকলো পৰম্পৰাই এটা কথা আঙুলিয়াই দেখুৱাই যে তেওঁলোকৰ বংশই সদিয়া বা বিদৰ্ভত ৰাজত্ব কৰিছিল। আন ৰাজ্য আভ্যন্তৰীণ কলহত ধ্বংসপ্ৰাপ্ত হোৱাৰ দৰে চুতীয়া ৰাজ্যও মূলতে অৰ্ন্তকলহৰ ফলতে উজনি অসমত সৰু সৰু গোষ্ঠীত বিভক্ত হৈ পৰিছিল।[১] তেওঁ আৰু লিখিলে যে "চুতীয়া কিংবদন্তিসমূহ উদ্ভট আৰু অসম্ভৱ কথাৰে ভৰা আৰু সেইবোৰ পুনৰ উল্লেখ কৰা অপ্ৰয়োজনীয়।" (The Chutiya legends are full of all sorts of impossible absurdities which it would be useless to repeat ...)।[২]

গেইট চাহাবে অসম্ভৱ আৰু উদ্ভট কথাৰে ভৰা বাবে চুতীয়া জাতিৰ কিংবদন্তিসমূহক অবিশ্বাস্য বুলি কৈছে যদিও লোককাহিনী আৰু ইতিহাস লিখনৰ প্ৰতি আধুনিক দৃষ্টিভঙ্গী সলনি হৈছে। আধুনিক দৃষ্টিত লোককাহিনী কোনো জনগোষ্ঠীৰ অলিখিত সাহিত্য হ'ব পাৰে। লোক কাহিনীৰ মাজত ৰীতি-নীতি, বিশ্বাস, যাদু অনুশীলন, সাধুকথা আদিও সোমাই থাকে। লোককাহিনীৰ সমল কথাৰে আৰু কামেৰে এটা পুৰুষে আন এটা পুৰুষক দি যাব পাৰে। লোক কাহিনী যিকোনো জাতিৰ সংস্কৃতিৰ অংশ বিশেষ। জাতি এটা যিমান ক্ষুদ্ৰ হ'লেও তাৰ লোককাহিনী থাকিবই। গেইটে চুতীয়া জাতিৰ যি কিংবদন্তিক অসম্ভৱ আৰু উদ্ভট বুলিছে, সেই কিংবদন্তি লোককাহিনীৰ ভিতৰতে পৰে। সংস্কাৰ, নিৰীক্ষণ, আচাৰ, অন্ধবিশ্বাস, মালিতা, আপ্তবাক্য, ফকৰা যোজনা, কিংবদন্তি, অঞ্চল বিশেষৰ পৰম্পৰা আদিক লোককাহিনীয়ে সামৰি লয়। গেইটে চুতীয়া জাতিৰ অসম্ভৱ আৰু উদ্ভট বিবেচনা কৰা কিংবদন্তিৰ কথা তেওঁৰ **Report on the Progress of Historical Research in Assam**-ত উল্লেখ কৰিছে। **A History of Assam**ত চুতীয়া ৰজাৰ সোণৰ মেকুৰী, সোণৰ হাতী আৰু সোণৰ ছাতিৰ উল্লেখ আছে। কুবেৰ প্ৰদত্ত সোণৰ মেকুৰী, ঢাল, তৰোৱাল, হাতী, ছাতি আদিৰ কিংবদন্তিয়েই গেইটৰ মতে অবিশ্বাস্য আৰু উদ্ভট।

গেইটে অসম্ভৱ আৰু উদ্ভট বুলি ভবা চুতীয়া জাতিৰ সোণৰ মেকুৰী, সোণৰ হাতী, ঢাল, তৰোৱাল আদি টটেম হ'ব পাৰে। সিবিলাক টটেম হোৱাত অস্বাভাৱিকতা একো নাই। নৃতত্ত্বত টটেম (totem) একোটা জনগোষ্ঠীৰ লগত জড়িত এবিধ জীৱ বা জন্তু হ'ব পাৰে অথবা আন বস্তুও হ'ব পাৰে। এই জনগোষ্ঠী একে উপৰিপুৰুষৰ পৰা

[১] Edward Gait, **A History of Assam**, Calcutta, 1905, p. 42
[২] *ibid.*



সৃষ্টি হোৱা বুলি দাবী কৰা হয়। সেই জনগোষ্ঠীৰ লোকে টটেমক বন্ধু, ৰক্ষাকৰ্ত্তা আৰু সঁচা বা কাল্পনিক আদি-পুৰুষ বুলি গণ্য কৰিব পাৰে। টটেমৰ নামটো জনগোষ্ঠীয়ে নিজৰ পৰিচয়জ্ঞাপক হিচাপে ব্যৱহাৰ কৰে। 'টটেম' শব্দটো এংলকুইয়ান ইণ্ডিয়ান (Alongquian Indian) শব্দ আৰু ইয়াৰ অৰ্থ 'ভাই' অথবা 'আত্মীয় স্বজন'। অষ্ট্ৰেলিয়ান আদিবাসী আৰু উত্তৰ আমেৰিকাৰ ইণ্ডিয়ানসকলৰ মাজত টটেমৰ বহুল প্ৰচলন আছিল। দক্ষিণ আমেৰিকা, আফ্ৰিকা, এচিয়া, মালয়েচিয়া আৰু পলিনেচিয়াৰ জনগোষ্ঠীৰ মাজতো ইয়াৰ প্ৰচলন আছিল।

টটেমৰ লগত জড়িত বিশ্বাস আৰু আচাৰেই টটেমবাদ (totemism)। চুতীয়া জাতিৰ কুবেৰ প্ৰদত্ত সোণৰ মেকুৰী, সোণৰ হাতী, ছাতি আদিৰ উল্লেখৰ পৰা জাতিটোৰ একাধিক টটেম আছিল বুলি অনুমান কৰিব পাৰি। একোটা জনগোষ্ঠীৰ সভ্যই টটেম জন্তু বা উদ্ভিদক প্ৰতীক বা নিদৰ্শন হিচাপে নিজৰ সম্পত্তি, কাপোৰ-কানি বা গাত খোদাই কৰি ল'ব পাৰে। জনগোষ্ঠীটোৰ মানুহে টটেম প্ৰজাতিৰ জন্তু অথবা উদ্ভিদক কোনো ধৰণৰ অনিষ্ট নকৰে। চুতীয়া জাতিৰ কুবেৰ প্ৰদত্ত সোণৰ মেকুৰী, সোণৰ হাতী আদিৰ পৰা জাতিটোৰ একাধিক টটেম আছিল বুলি অনুমান কৰিলেও তাৰ ভিতৰত টটেম পোনতে মেকুৰী বুলিয়েই ধৰিব লাগিব। আমি 'মেকুৰী' (cat) বুলিলে সাধাৰণতে ঘৰচীয়া পোহনীয়া মেকুৰীক বুজো যদিও ই আচলতে মাংসহাৰী এটা বৃহৎ পৰিয়ালক বুজায়। বাঘ, সিংহ, নাহৰফুটুকী আদিকো সামৰে। লোককথাত মেকুৰী বাঘৰ মাহীয়েক। অসমৰ গ্ৰামাঞ্চলত এতিয়াও কয় - 'বাঘ চোৰা যদি বোন্দাকে চোৰা'। মেকৰী (cat) পৰিয়ালৰ বনৰীয়া জন্তুবোৰ ভয়ংকৰ চিকাৰী জন্তু। মানুহৰ সংগী পোহনীয়া মেকুৰীও এন্দুৰ, নিগনি, ডালশলিয়া আদি খেতিয়কৰ শত্ৰু নিয়ন্ত্ৰণত কামত অহা জন্তু।

অসমীয়া লোকবিশ্বাসত মেকুৰী মাৰিব নেপায়। মেকুৰী মাৰিলে যম ৰজাক সোণৰ মেকুৰী দিব লাগিব। পৰম্পৰাগত বিশ্বাসমতে মেকুৰীয়ে নটা জীৱন (nine lives) পায়। ইয়াৰ কাৰণ বোধহয় মেকুৰীৰ চতুৰালি। সাধুকথাত বোন্দাই বাঘৰো মৃত্যু ঘটাব পাৰে। বৰ কৌশলেৰে ই নিজকে বিপদমুক্ত কৰিব পাৰে আৰু জীৱনৰ ওপৰত ইয়াৰ চমৎকাৰ নিয়ন্ত্ৰণ আছে। মেকুৰীয়ে কেইবা দিনো নোখোৱাকৈ থাকিব পাৰে আৰু যি ধৰণৰ আঘাতে আন অনেক জন্তুৰ মৃত্যু ঘটায় তেনে আঘাতৰ পৰাও মেকুৰীয়ে সহজে আৰোগ্য লাভ কৰিব পাৰে। মানুহৰ লগত হাজাৰ বছৰ থকাৰ পিছতো মেকুৰীয়ে আজিও তাৰ স্বাধীনচিতীয়া স্বভাৱ আৰু আচৰণ বজাই ৰাখিছে। ইয়াৰ আত্মসন্মানবোধ ইমান প্ৰৱল যে কোনো ধৰণৰ শাস্তিয়ে ইয়াক সেও মনাব নোৱাৰে। চুতীয়া জাতিয়ে নিশ্চয় মেকুৰীৰ এনেবোৰ গুণৰ কাৰণেই ইয়াক টটেম বা বৃষকাষ্ঠ কৰিছিল। যুদ্ধ-বিগ্ৰহ আৰু কৃষি-বাণিজ্য আদিৰ লগত জড়িত জাতি এটাই আদিম অৱস্থাত সাহস, দৃঢ়তা, আত্মবিশ্বাস, কষ্ট সহিষ্ণুতা, স্বাধীনতা স্পৃহা, আত্মসন্মান বোধ আদি গুণবোৰক নিজৰ মাজত কৰ্ষণ

কৰিবৰ বাবেই বাঘ, সিংহ আদিৰ পৰিয়ালৰ মেকুৰীক বৃষকাষ্ঠ কৰিছিল।

আদিম মানুহে নিজৰ সমাজখনৰ লগত শান্তিৰে বসবাস কৰাৰ লগতে বিশাল প্ৰকৃতি আৰু অতিপ্ৰাকৃতিক শক্তিৰ লগতো শান্তিৰে বসবাস কৰিবলৈ বিচাৰিছিল। চুতীয়া জাতিৰ উপৰি- পুৰুষৰ সোণৰ মেকুৰীৰ লগতে আন বৃষকাষ্ঠই তেনে বাঞ্ছিত শান্তিৰ কথাকে সোঁৱৰায়।

গেইটে অসম্ভৱ আৰু উদ্ভট বুলি কোৱা কিংবদন্তিৰ লগত 'কুবেৰ প্ৰদত্ত' কথাটো জড়িত হৈ আছে। **Students' Britanica Indica**ত কুবেৰ দেৱতাৰ কথা এই বুলি কোৱা হৈছে যে হিন্দু পুৰাণত কুবেৰ যক্ষসকলৰ ৰজা আৰু সম্পত্তিৰ দেৱতা। পৃথিৱীৰ সমস্ত ঐশ্চৰ্যৰ লগত তেওঁ জড়িত। সম্পত্তিৰ দেৱতা এজনক এসময়ত জনগোষ্ঠী এটাই পূজা কৰা অথবা নিজৰ সম্পদ সেই দেৱতাৰ আশীৰ্বাদতে লাভ কৰা বুলি ভবাটো সম্ভৱপৰ। টটেমক যাদুশক্তিৰে জনগোষ্ঠী একোটাই নিজৰ উৎপত্তিৰো মূল বুলি যদি বিশ্বাস কৰিব পাৰে, চুতীয়াৰ জাতি প্ৰসঙ্গত সোণৰ মেকুৰী, হাতী আদি কুবেৰ প্ৰদত্ত হ'ব পাৰে।

জেইমচ ফ্ৰেজাৰে তেওঁৰ **The Golden Bough**ত পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীৰ আদিম আচাৰ অনুষ্ঠানৰ বিস্তৃত অনুসন্ধান কৰি দেখুৱাইছে কিদৰে মানুহৰ সভ্যতাই যাদুৰ পৰা ধৰ্ম আৰু ধৰ্মৰ পৰা বিজ্ঞানৰ ফালে গতি কৰিছে। আদিম চিকাৰী আৰু কৃষিজীৱী মানুহৰ আচাৰ অনুষ্ঠানবোৰ মূলতে মাটিৰ উৰ্বৰা শক্তি, চিকাৰ, যুদ্ধ বিগ্ৰহ আৰু যাদুশক্তিৰ লগত জড়িত। যাদুত বিশ্বাসৰ বাবেই একোটা জনগোষ্ঠীয়ে বৃষকাষ্ঠত জাতিটোৰ উৎপত্তিৰ উৎস বুলি ভাবিব পাৰে। চুতীয়া জাতিৰ প্ৰধান বৃষকাষ্ঠ মেকুৰী বৰ্তমান লিখিত ৰূপ পোৱা সাধুকথাত মানুহৰ পিতৃ-মাতৃ হোৱাৰ উদাহৰণ আছে। **বুঢ়ী আইৰ সাধু**ত থকা প্ৰথম সাধুকথাটোৱেই 'মেকুৰী জীয়েকৰ সাধু'।

চুতীয়া জাতিৰ ইতিহাস বিভিন্ন বুৰঞ্জীত সিঁচৰতি হৈ থকাৰ উপৰিও এই ৰাজ্য আৰু জাতিৰ সংস্কৃতি উল্লেখ প্ৰতিউল্লেখ বিভিন্ন মৌখিক আৰু আধুনিক সাহিত্যতো উদ্‌যাপিত। আধুনিক অসমীয়া সাহিত্যৰ কথা কওঁতে পোনতে যজ্ঞেশ্বৰ শৰ্মাদেৱে সম্পাদনা কৰা **শতপত্ৰ** (প্ৰথম প্ৰকাশ ১৯৩৭) শীৰ্ষক কবিতা সঙ্কলনত সন্নিবিষ্ট পদ্মনাথ গোহাঞিবৰুৱাৰ "চন্দনগিৰি" কবিতাৰ কথা উল্লেখ কৰিব লাগিব। **শতপত্ৰ** বিভিন্ন কাৰণত অসমীয়া সাহিত্যৰ এখন উল্লেখযোগ্য কবিতা সংকলন আৰু "চন্দনগিৰি" কবিতাটো এটা চমৎকাৰ কবিতা। এই কবিতাটো আচলতে গোহাঞিবৰুৱাৰ **সাধনী** নাটকত সাধনীৰ এটা দীঘলীয়া সংলাপৰ একাংশ। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে কবিতা নাটকতো থাকে। শ্বেক্সপীয়েৰৰ কবিতা আৰু সংগীত আলোচনা কৰা সমালোচকে নাটকৰ ওপৰতহে ঘাইকৈ মনোযোগ দিয়ে। জ্যোতিপ্ৰসাদৰ নাটকতো কবিতা আৰু গীত আছে। পশ্চিমীয়া সাহিত্য সমালোচনাৰ মূল উৎস আৰিষ্টটলৰ কাব্যতত্ত্ব (Poetics) গ্ৰীক নাটকৰ ওপৰত



আধাৰিত। **সাধনী** নাটকত যজ্ঞেশ্বৰ শৰ্মাদেৱে কাব্যগুণ দেখা পাই সাধনীৰ সংলাপৰ একাংশ তেওঁৰ দ্বাৰা নিৰ্বাচিত কবিতা সংকলনত সন্নিবিষ্ট কৰিছিল।

আধুনিক শিক্ষাই পৰাধীন ভাৰতৰ কবি-সাহিত্যিকক তেওঁলোকৰ জাতীয় আৰু আধ্যাত্মিক পৰম্পৰাৰ কাষ চপাই আনিছিল। দেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ কবিয়ে অতীতৰ গৌৰবোজ্জ্বল সমল বিচাৰোতে চুতীয়া ৰাজ্যৰ অপূৰ্ব প্ৰাকৃতিক শোভা আৰু সাংস্কৃতিক পৰম্পৰাক নাট্যৰূপ দান কৰিছে। এই প্ৰসঙ্গতে এলেক বীমাৰে কৰা এটা উক্তি উদ্ধৃত কৰিব পাৰি - "লিখকসকল তেওঁলোকৰ নিজৰ আধ্যাত্মিক পৰম্পৰাৰ কাষ চাপি গৈছিল। এই আধ্যাত্মিক পৰম্পৰা আছিল নতুন জাতীয় পৰিচয়ৰ উৎস আৰু কবিতাত যৌগিক চিত্ৰ নিৰ্মাণৰ বাবে পুৰাকথাৰ ঐশ্চৰ্য ভাণ্ডাৰ।" ("Writers turned to their own spiritual traditions, therefore, both as the source of a new national identity, and also as a mythic resource with which to structure poetic collages.")[৩] গোহাঞিবৰুৱাদেৱৰ ঐতিহাসিক নাটককেইখন **সাধনী, জয়মতী, গদাধৰ, বানৰজা** আৰু **লাচিত বৰফুকন**। বিভিন্ন উৎসৰ পৰা গোহাঞিবৰুৱাই চুতীয়া ৰাজ্য আৰু অতীত গৌৰৱৰ বিষয়ে পঢ়ি মুগ্ধ হোৱাৰ বাবেই নিশ্চয় চুতীয়া ৰাণী সাধনীক মুখ্য চৰিত্ৰ কৰি অসমীয়া জাতিক দেশাত্মবোধেৰে উদগাব পৰা নাটক এখন লিখিছিল।

চুতীয়া জাতিৰ বুৰঞ্জীৰ লগত কুবেৰ প্ৰদত্ত সম্পদৰ যিটো পুৰাকথা জড়িত হৈ আছে সেই পুৰাকথাৰ এক ধৰণৰ ব্যাখ্যা গোহাঞিবৰুৱাৰ নাটকখনৰ মাজতো বিচাৰি পাব পাৰি। কুবেৰ সম্পত্তিৰ দেৱতা আৰু বাণিজ্যৰ মাজেদি সম্পদ আহৰণ কৰা যায় বুলি প্ৰবাদ বাক্য আছে। নাটকখনত চুতীয়া আৰু আহোম ৰাজ্যৰ বিবাদৰ কাৰণ এই বেপাৰ-বাণিজ্য বুলি দেখুৱা হৈছে। বাণিজ্যৰ বাবে ৰজা নীতিপালৰ নতুন বিষয়াৰ ভুল পৰামৰ্শ অনুসৰি চুতীয়া সেনাপতি আৰু সৈন্যই আহোম ৰাজ্যৰ সীমাৰ ভিতৰত অনধিকাৰ প্ৰৱেশ কৰিছে। নীতিপালে সুধিছে - "নোসোধা নেমেলাকৈ লোকৰ ৰাজ্যলৈ যোৱা উচিত হ'ব জানো?" কিন্তু অনভিজ্ঞ বিষয়াই তেওঁক পৰামৰ্শ দিছে - "এইটো কথাও সুধিব লাগিছেনে? মহাৰাজ, আমাৰ কিবা ৰণ দিবলৈ যাবনে?" চুতীয়া ৰাজ্যৰ মন্ত্ৰীজনে তেওঁৰ পৰামৰ্শ আওকান কৰাত আক্ষেপ কৰিছে - "নামানে আমাৰ কথা শাসন কাৰ্যত/ সিদিনা পাচিছে এক নৱ সেনাপতি/ সৈন্য সামন্তৰে আহোম ৰাজ্যত গই/ বিনা সন্মতিৰে, গুপ্ত স্বাৰ্থ সিদ্ধি হেতু/ পশিব ত্বৰিতে।" এই 'গুপ্ত স্বাৰ্থ' আচলতে নীতি ভঙ্গ কৰা বাণিজ্যিক স্বাৰ্থ। চুতীয়া জাতিটো কৃষিৰ লগতে বেপাৰ-বাণিজ্যৰ দিশত একালত নিশ্চয় আগবঢ়া জাতি আছিল। নতুন বিষয়াই বাণিজ্যিক লাভৰ বাবেই ৰজাক চুবুৰীয়া ৰাজ্যৰ সীমা উলংঘা কৰিবলৈ উচটাই দি বিপদ মাতিছে। চুতীয়া ৰাজ্যৰ ভৌগোলিক অৱস্থানো পৰ্বত ভৈয়ামৰ বাণিজ্যৰ বাবে সুচল ঠাইত অৱস্থিত আছিল। সাম্প্ৰতিক কালৰ বুদ্ধিজীৱী

---

৩ Elak Bimer, **Colonial and Post Colonial Literature**, OUP, 1995, p.204

আৰু শিক্ষাবিদৰ লেখাতো এই ৰাজ্যৰ প্ৰাকৃতিক শোভা আৰু সুচল বাণিজ্যিক অৱস্থানৰ কথা উদ্‌যাপিত হৈছে - "সদিয়াখন আছিল স্ৰষ্টাৰ এক অপূৰ্ব সৃষ্টি। ঠাইখন নামনিত। পৰ্বত ভৈয়ামৰ মিলন থলী। বুৰঞ্জী বিখ্যাত পৰশুৰাম কুণ্ড, ৰুক্মিনী, কুণ্ডিল নগৰীৰ বাটত সদিয়াই প্ৰথম আৰু প্ৰধান প্ৰৱেশদ্বাৰ। পাহাৰৰ পৰা মিছিমি, আবৰ, খামতি নামি আহি ইয়াতে ভৈয়ামৰ লোকসকলৰ লগত লগ খায়, তামোল চালি আদি খাই বেহা-বেপাৰ আদি কৰি আকৌ উভতি যায় পৰ্বতলৈ।"[৪]

আধুনিক কালৰ শিক্ষাবিদ এগৰাকী যিদৰে সদিয়াৰ প্ৰাকৃতিক শোভা দেখি বিস্ময়ত অভিভূত হৈছে, কবি নাট্যকাৰ গোহাঞিবৰুৱাও চন্দনগিৰিৰ শোভাত অতিশয় মুগ্ধ হৈছিল। সেই বাবেই সাধনীৰ দৃষ্টিৰে সেই প্ৰাকৃতিক শোভা আৰু ঐশ্চৰ্যক বন্দনা কৰিছে ঃ "স্বৰ্গৰ জখলা এই পুণ্য গিৰিবৰ/ নিৰ্মিলে কি সুকৌশলে বিশ্বখনিকৰে/ সৌন্দৰ্যৰ ৰূপৰাশি কৰুণাৰ প্ৰভা/ প্ৰেমৰ পবিত্ৰ ৰাগ, সম্ভোগৰ সুখ/ ... যোগী, ঋষি, মুনি আৰু তাপস কুমাৰ/ বিমোহিত নৰলোক ৰূপলীলা চাই।" ৰূপ, কৰুণা, পুণ্য, পবিত্ৰতা আদিয়ে সাধাৰণ মানুহকে নহয় ঋষি, মুনি আৰু যোগীকো বিস্ময়াভিভূত কৰিব পাৰে। চুতীয়া ৰাজ্যৰ প্ৰাকৃতিক সৌন্দৰ্য, সম্পদ আৰু শৌৰ্য-বীৰ্যৰ কাৰণেই ই বিভিন্ন পুৰাকথা আৰু কিংবদন্তি আদিৰ মাজত সোমাই পৰিছে। চুতীয়া ৰাজ্যৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যই ৰূপকথাৰ মৰ্যদা আৰু উচ্চতা লাভ কৰাৰ বাবেই আন এগৰাকী আধুনিক যুগৰ কবি লক্ষ্মীনাথ ফুকনে "ব্ৰহ্মপুত্ৰৰ প্ৰতি" কবিতাত ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়লৈ উঠা সভ্যতাৰ কথা কবলৈ গৈ কুণ্ডিল কেন্দ্ৰীক পুৰাকথাৰে ব্ৰহ্মপুত্ৰৰ বিশালতা আৰু প্ৰাচীনত্বৰ এটা আভাস দিব বিচাৰিছে - "কুণ্ডিল কুঁৱৰী সেই কুহকিনী ৰুক্মিনীৰ ৰূপ ৰাশি যেতিয়া উঠলি/ আপোনাতে পৰিল উচলি/ তেতিয়া মলয়ে দেহি তাৰে একণিকা লৈ বসন্তক দিলে উপহাৰ/ কুঞ্জবন উঠিলে উজলি/ মধুময় ভংগিমাৰে ললিত হিল্লোল তুলি শুনা গ'ল ৰিনিনি জিনিনি/ শ্ৰীকৃষ্ণৰ নূপুৰৰ ধ্বনি/ অশিথিল প্ৰেমপাশ নূপুৰেযে হাবিলাষ, ৰুক্মিনী যে আকুল উদাক্ত/ কত আশা, কত হেন্দোলনি।" পুৰাকথাৰ ভীষ্মক, ৰুক্মিনী, কৃষ্ণ, কুণ্ডিল আৰু চুতীয়া ৰাজ্যক বুৰঞ্জীৰ লগত একাকাৰ কৰিব নোৱাৰি, কিন্তু পুৰাকথাবোৰ অবান্তৰ অলীক নহয়। চুতীয়া ৰাজ্যৰ শোভা, সম্পদ আৰু শৌৰ্যৰ কিবা সম্পৰ্ক এই পুৰাকথাৰ কেন্দ্ৰত আছে। গেইটৰ বুৰঞ্জীতে আছে - "পুৰাকথাৰ ভীষ্মকৰ পৰা উৎপত্তি হোৱা বুলি কোৱা বীৰপাল নামৰ এজন প্ৰধানক চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা বুলি কোৱা হয় আৰু সোণাগিৰি নামৰ এটা পাহাৰত তেওঁ ষাঠীটা পৰিয়ালক শাসন কৰিছিল।"[৫]

---

[৪] ইন্দিৰা মিৰি, "নেফাত ঃ স্বাধীনতাৰ পৰা বৰভূইকপলৈকে", কোযেশ্বৰ বৰুৱাৰ **লুইতৰ আগৰিত অসমীয়া সভ্যতাত** উদ্ধৃত, পৃঃ ১৪৬

[৫] Gait, **A History of Assam**, p. 42



বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই চুতীয়া জাতিৰ সংস্কৃতিৰ বিষয়ে এটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে - "উজনি অসমৰ সৰু ভাগটি অসমীয়াক scratch কৰক অৰ্থাৎ বাঁকুহি চাওক, দেখিব তেওঁ আচলতে চুতীয়া। ... ময়েই এতিয়া, মোৰ নামৰ পাছত আছে শৰ্মা উপাধি। শৰ্মা বুলিলে কি বুজায় সকলোৱে জানে। তথাপি মোৰ ঐতিহাসিক মনোবৃত্তি, ৰীতি-নীতি আৰু সংস্কৃতি সভ্যতা, ল'ৰাৰ পৰা ডাঙৰ হোৱালৈকে পুহি ৰখা ভাব আৰু কৰি অহা ধেমালি ধুমুলাবোৰ টংকৈ চালে দেখিবলৈ পাওঁ মোৰও এফাল দেখোন চুতীয়া।"[৬] শৰ্মাই চুতীয়া জাতিৰ সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক গভীৰভাবে প্ৰভাবিত কৰি অসমীয়া সংস্কৃতিতে জীন গৈছে সেই কথা উপলব্ধি কৰিছে। অসমৰ দৰে বিভিন্ন জনগোষ্ঠীৰ বাসভূমিত আদান-প্ৰদানৰ মাজেদি ৰূপান্তৰ ঘটি সংমিশ্ৰণ বা সংযুত (composite) সংস্কৃতি এটা গঢ়ি উঠিছে। একালত চুতীয়া সংস্কৃতিৰ স্বকীয় বিশিষ্টতা বুলি পৰিগণিত সাংস্কৃতিক উপাদান এই সংমিশ্ৰণ সংস্কৃতিত মিলি গৈছে। পুৰাকথা, কিংবদন্তি, মালিতা, সাধুকথা, লোকাচাৰ আদিৰ মাজত সেই সংস্কৃতিৰ কিছু উপাদান বিচাৰি পাব পাৰি।

পূৰ্ব উল্লিখিত প্ৰৱন্ধত বেণুধৰ শৰ্মাদেৱে লিখিছে - "শ্ৰীযুত ৰূপেশ্বৰ দত্তৰ দ্বাৰা সংগৃহীত আৰু প্ৰকৃত সাহিত্যিক কবি বন্ধু শ্ৰীযুত ডিম্বেশ্বৰ নেওগ এম. এ.ৰ দ্বাৰা সম্পাদিত "জনা গাভৰুৰ গীত"ত অসমীয়া তিৰোতাৰ সাহ বলৰ কথা বঢ়িয়াকৈ বৰ্ণোৱা আছে। সেইগৰাকী গাভৰুৰ নামেৰেই তেওঁ থকা ঠাইৰ নাম জনাপথাৰ হ'ল। এই জনাপথাৰ চৈখোৱা ঘাটৰ উত্তৰে এতিয়াও আছে। জনা গাভৰু চুতীয়া ৰমণী যি তিৰী হৈ ৰাজপাটত বহি জুৰীয়া ঢাপ মৰাই নশ কোঁৱৰক বন্দীকৈ থৈছিল। চুতীয়া ৰমণীৰ (সকলো ফৈদৰ) নিৰ্ভীক চিত্ত আৰু লয়লাস খোজে স্ত্ৰী স্বাধীনতাৰ ক্ষীণ ৰেখা এটি এতিয়াও জিলিকাই ৰাখিছে।" জনাগাভৰুৰ গীতটোৰ ভিতৰতে চুতীয়া ৰাজ্যৰ, অৰ্থাৎ কেঁচাইখাঁতী গোঁসানী আৰু তাম্ৰেশ্বৰী মন্দিৰৰো উল্লেখ আছে - "চন্দ্ৰত এসেৱা কৰে গোপীচনে/ সূৰুযত এসেৱা কৰে/ পগলা পাৰ্বতী কেঁচাইখাতী গোঁসানী/ তামৰ ঐ দেৱতা ঘৰে।"[৭]

শ্ৰীডম্বৰুধৰ দেউৰীয়ে **দেউৰী সংস্কৃতি** গ্ৰন্থত লিখিছে - "একালত চুতীয়াসকলৰ অসমত বিশেষ আধিপত্য আছিল। সম্ভৱতঃ তেওঁলোকৰ ধৰ্মমতেই অসমত চলিছিল। চুতীয়া ৰজাসকলৰ দিনত নীলাচলবাসিনী কামাখ্যা, তেজপুৰৰ ভৈৰৱী আৰু সদিয়া প্ৰদেশৰ দেৱালয়সমূহত শক্তি পূজাৰ পূৰ্ণ পয়োভৰ আছিল।"[৮] চুতীয়া সভ্যতা, তাম্ৰেশ্বৰী মন্দিৰ আৰু কেঁচাইখাঁতী গোঁসানীৰ পূজা প্ৰসঙ্গত গ্ৰন্থকাৰে লিখিছে -

---

[৬] বেণুধৰ শৰ্মা, "চুতীয়া জাতিৰ কৃষ্টি", সদৌ চুতীয়া জাতি সন্মিলন, বিংশতিতম্ অধিবেশন, স্মৃতিগ্ৰন্থত পুনৰ মুদ্ৰিত, ১৯৭৯, পৃঃ ১৩

[৭] ঐ, পৃঃ ১৯

[৮] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, পৃঃ ৩৭

"আহোমবিলাক অসমলৈ অহাৰ আগেয়ে চুতীয়াবিলাক অসমৰ উত্তৰ-পূবত মহানদ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত, আজিকালি যাক উত্তৰ পূব সীমান্ত বোলে, তাৰ আভ্যন্তৰিণ অংশ বাদ দি বৰ্তমানৰ সদিয়াৰ পৰা গোটেই লক্ষীমপুৰ জিলাখনক ধৰি কুণ্ডিলপানী, দিক্ৰংপানী, দিব্ৰাং, দিহাং, গাই, চিচি, সোৱনশিৰী, ৰঙানৈ, বগানৈ আদি মনোৰম সাৰুৱা উপত্যকাসমূহত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত জৈদাম পৰ্বতৰ পাদদেশ টেঙ্গাপানী নৈৰ নামনিৰ পৰা দিচাংনৈৰ পূব খণ্ডত নিজৰ ধৰ্ম, কৃষ্টি আৰু সভ্যতা বিস্তাৰ কৰি ৰাজত্ব কৰিছিল। ... চুতীয়াবিলাকে নিৰ্মাণ কৰা অসংখ্য কোঠ, দেৱালয় আৰু নগৰৰ ধ্বংসাৱশেষ এতিয়াও তাত আছে। ... ইয়াৰ ভিতৰত বুঢ়াবুঢ়ী থান, বলিয়াবাবা থান আৰু তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংসাৱশেষ অন্যতম।"[৯]

জনাগাভৰুৰ গীতৰ বিষয়ে **অসমীয়া লোকসাহিত্যৰ ৰূপ ৰেখাত** ড° লীলা গগৈয়ে কেইটামান তাৎপৰ্যপূৰ্ণ কথা কৈছে। তেওঁৰ মতে গীতটোত থকা কাহিনীটো প্ৰাচীন আৰু ভাষা অৰ্বাচীন। বেণুধৰ শৰ্মাই জনাক চুতীয়া ৰমণী বুলি কৈ তাৰ সমৰ্থনত উল্লেখ কৰা জনাপথাৰ, কেঁচাইখাঁতী গোঁসানী আৰু তাম্ৰেশ্বৰী মন্দিৰৰ কথা ড° গগৈয়ে স্বীকাৰ কৰা নাই। তেওঁ গীতটোৰ উৎপত্তিৰ বিষয়ে সুকীয়া অনুমান কৰিছে - "গীতটিত গ্ৰাম্য দোষ আছে আৰু বৰ্ণনাত আঁৰবেৰ নাই। এইবোৰলৈ চালে কোনোবা চহা স্বভাৱ কবিৰ মুখৰ পৰা গীতটি ওলাইছে আৰু কোনোবা মুছলমান মানুহৰ মুখেদি এবাৰ বাগৰি গৈছে। দিল, আচমান আদি শব্দই ইয়াৰ প্ৰমাণ। আমি শুনাত টিয়ক কাকজান অঞ্চলৰ কোনো কোনো মৰীয়া মানুহে গীতটো জানিছিল। মোগল সৈন্য বাহিনীৰ লগত অহা কোনোবা সৈন্যই ভাটীৰ ৰংপুৰৰ ফালৰ পৰা কাহিনীৰ জঁকাটো লৈ আহিব পাৰে আৰু তাকে অসমৰ পৰিবেশত অসমীয়া কবিয়ে সজাই পৰাই উলিয়ায়।"[১০] ড° গগৈয়ে কাহিনীটোৰ জঁকা কোনটো আৰু অসমীয়া কবিয়ে কোনখিনি সজাইছে পৰাইছে তাৰ একো ইংগিত দিয়া নাই। তেওঁ কৰা আন এটা উক্তিয়ে কিন্তু ভাটীৰ ফালৰ পৰা অহা জঁকাৰ অনুমানটো নাকচহে কৰে - "প্ৰশ্ন বা সাঁথৰৰ জাল মাৰি ৰজাৰ জীয়েকে কোঁৱৰক বন্দী কৰি থোৱাৰ সাধুকথা প্ৰায় সকলো ভাষাতে পোৱা যায়।"[১১] প্ৰশ্নৰ জালেৰে কোঁৱৰক বন্দী কৰি ৰখাটোকে কাহিনীটোৰ জঁকা বুলি ধৰিলে আৰু সেই ধৰণৰ কাহিনী সকলো ভাষাতে পোৱা যায় বুলি মানি ললে কাহিনীৰ জঁকা ভাটীৰ পৰা কোনোবাই অসমলৈ লৈ অহাৰ প্ৰয়োজন নাথাকে।

যুগে যুগে মুখ বাগৰি আহোঁতে লোক কাহিনী এটাত বিভিন্ন ঠাই আৰু সময়ৰ উপাদান সোমাব পাৰে। ই লিখিত ৰূপ এটা পোৱাৰ সময়ত তৎকালিন ভাষাই কাহিনীৰ ভাষাক সজাই পৰাই লব পাৰে। লোককাহিনী বা গীত এটাত গ্ৰাম্য সংস্কৃতিকে আশা

[৯] ঐ, পৃঃ ৫৫

[১০] ড° লীলা গগৈ, **অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা**, বনলতা সংস্কৰণ, ২০০১, পৃঃ ১৬৪

[১১] ঐ



কৰা যায়। সেইফালৰ পৰা ড° গগৈয়ে গীতটোত দেখা পোৱা "গ্ৰাম্য দোষ"ৰ কথাটো বুজিব নোৱাৰি। গীতটোত থকা গ্ৰাম্য কথিত ভাষাৰ বাবেও "গ্ৰাম্য দোষ"ৰ উক্তিটো কৰা হ'ব পাৰে - "হাই দি মাৰিবৰ লাই ঔ গাভৰু/ হাই দি মাৰিবৰ লাই/শিলটোত খোতিয়া কোঁৱৰে মুতিলে/এহাত দ লোৰে হৈ যায়।" পোনপটীয়া, অৰ্থবহ, দ্ৰুত গতিময় এই কথিত ভাষাক নিশ্চয় "গ্ৰাম্য দোষ" বুলিব নোৱাৰি।

জনা গাভৰুৰ গীতৰ লগত চুতীয়া ৰাজ্যৰ প্ৰসংগ গীতটোৰ দুটা শাৰীয়ে দৃঢ়ভাৱে সমৰ্থন কৰে ঃ "পগলা পাৰ্ব্বতী কেঁচাইখাঁতী গোঁসানী/তামৰ ঐ দেৱতা ঘৰে।" এই পগলা পাৰ্ব্বতী কোন? ডম্বৰুধৰ দেউৰীয়ে **দেউৰী সংস্কৃতি**ত উল্লেখ কৰিছে যে একালত ব্ৰহ্মপুত্ৰই বিৰাট ধ্বংসাত্মক ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰি "বলিয়াবাবা" নাম পাইছিল। পৰবৰ্ত্তী কালত তেঁৱেই দেৱাদিদেৱ হিচাবে দেউৰী আৰু চুতীয়াসকলৰ মাজত পূজিত হৈছে। সদিয়াৰ দক্ষিণ পূবে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত জৈদাম পৰ্বতৰ পাদ প্ৰান্তত টেঙাপানী নৈৰ পূব পাৰত বলিয়াবাবাৰ এটা মন্দিৰ আছে। "দেউৰীসকলে এই মন্দিৰৰ উপাস্য দেৱতাক পিশাডেমা অৰ্থাৎ ব্ৰহ্মপুত্ৰ আৰু বলিয়াবাবা, আনে দেৱাদিদেৱ মহাদেৱ বোলে।"[১২] জনা গাভৰুৰ গীতত উল্লেখিত এই 'পগলা' অথবা বলিয়াবাবা শিৱৰে এটা ৰূপ। তামৰ দেৱতা ঘৰ বা দেওঘৰ চুতীয়া ৰাজ্যত থকা তাম্ৰেশ্বৰী মন্দিৰ আৰু তাম্ৰেশ্বৰী মন্দিৰৰ উপাস্য দেৱী কেঁচাইখাঁতী। গোপীচনে এটা কঠিন পৰীক্ষাত অবতীৰ্ণ হ'বলৈ গৈ জনাৰ ৰাজ্যৰ উপাস্য দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ বলিয়াবাবা বা পগলাবাবা আৰু পাৰ্বতীক সেৱা জনাইছে। 'পগলা পাৰ্ব্বৰ্তী'ত 'পগলা' শব্দটো বিশেষণ হিচাপে পৰিলেও পাৰ্বতীৰ এই বিশেষণ 'বলিয়াবাবা'ৰ পৰা স্থানান্তৰিত বুলি পাঠোদ্ধাৰ কৰিব পাৰি। গোপীচনে পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিলে হাঁহ, পাৰ, ম'হ আদিৰ লগতে মানুহ বলি দিব বুলিও কৈছে। নৰবলি প্ৰথা আন ঠাইত থাকিলেও গীতৰ পৃষ্ঠভূমিৰ প্ৰসঙ্গত ই চুতীয়া ৰাজ্যত থকা তাম্ৰেশ্বৰী মন্দিৰত দিয়া নৰবলিৰ কথাকে সূচাইছে।

ড° কবীন ফুকনে **অসমীয়া কবিতাৰ প্ৰবাহ**, প্ৰথম খণ্ডত জনাগাভৰুৰ গীতৰ এটা পাণ্ডিত্যপূৰ্ণ ব্যাখ্যা দিছে। তেওঁ এঠাইত লিখিছে - "সকলো কথা গমি ঠাৱৰাব পাৰি যে গোপীচন লোকবিশ্বাসৰ আৰু কল্পনাৰ এজন কৃষ্টি নায়ক (culture hero) কাৰণ তেওঁৰ অসামান্য পৌৰুষে অসামান্য প্ৰকৃতিক সেও মনাই জনস্বাৰ্থৰ অনুকূল কৰি তোলে। প্ৰকৃতিৰে মানুহৰ সংঘৰ্ষৰ নাটকত অলৌকিক শক্তিৰ প্ৰতি মানুহৰ হেঁপাহ উচটাই দিয়া লোক কল্পনা প্ৰসূত কাব্য সৃষ্টিৰ এটি নিদৰ্শন হ'ল জনা গাভৰুৰ মালিতা।"[১৩]

জনাক জয় কৰি গোপীচনে বন্দী হৈ থকা ন শ কোঁৱৰক মুক্ত কৰাৰ কাহিনীটোত প্ৰচুৰ যাদুশক্তিক প্ৰয়োগ কৰা হৈছে। জনাই গোপীচনক এনে এখন তামোল খুজিছে

[১২] **দেউৰী সংস্কৃতি**, পৃঃ ২৫, ৬০

[১৩] ড° কবীন ফুকন, **অসমীয়া কবিতাৰ প্ৰবাহ**, পৃঃ ২১৯

পাঁচভাগত বিভক্ত কৰিছিল (১৭৭৫ খ্ৰীঃ) - ১। ককেচিয়ান বা বগা (Caucasian or White), ২। মঙ্গোলয়দ বা হালধীয়া (Mongoloid or Yellow), ৩। ইথিঅ'পিয়ান বা ক'লা (Ethiopian or Black), ৪। আমেৰিকান বা ৰঙা (American or Red), আৰু ৫। মালয়ান বা মুগা/কপিলা (Malayan or Brown)।

চুইডেনৰ প্ৰকৃতি-প্ৰেমী কাৰ্ল লিনিয়াচ (Carl Linnaeus) হ'ল প্ৰথম বিজ্ঞানী যিজনে ওঠৰ শতিকাৰ মাজভাগত মানব প্ৰজাতিৰ মানসিক চৰিত্ৰ অধ্যয়ন কৰি এক প্ৰণালীবদ্ধ শ্ৰেণীবিভাজন প্ৰস্তুত কৰিছিল। এই শ্ৰেণীবিভাজনখনত তেওঁ মানব প্ৰজাতিক হোম'চেপাইন (Homo-sepiens) বুলি নামকৰণ কৰিছে। এই শ্ৰেণীবিভাজনত হোম'চেপাইনক চাৰিটা মূল ভাগত বিভক্ত কৰা হৈছে -

১। হোম' আমেৰিকানাচ বা আমেৰিকান ইণ্ডিয়ান (Homo Americanus/ American Indian) - এওঁলোক আকোৰগোজ, স্বাধীনতা প্ৰিয় যুঁজাৰু আৰু সংস্কাৰশীল।

২। হোম' ইউৰোপিয়াচ (Homo Europaeus) - এওঁলোক চঞ্চল, তজবজীয়া, সৃষ্টিশীল প্ৰকৃতিৰ আৰু শাস্ত্ৰীয় বিধি-বিধানৰ প্ৰতি পৰম শ্ৰদ্ধাশীল।

৩। হোম' এচিয়াটিকাচ (Homo Asiaticus) - এওঁলোক কঠোৰ, দাম্ভিক, কৃপণ আৰু বিবেচনাৰদ্বাৰা পৰিচালিত।

৪। হোম' এফাৰ বা আফ্ৰিকান (Homo Afer/African) - এওঁলোক কঠোৰ, ধূৰ্ত, এলেহুৱা, আওকনীয়া আৰু চঞ্চল মনোবৃত্তিৰ।[৪৩]

দৈহিক গঠন অধ্যয়ন কৰি মানব প্ৰজাতিৰ শ্ৰেণী বিভাজনৰ কাম ভাৰতবৰ্ষত প্ৰথমে কৰিবলৈ লয় ব্ৰিটিছ আমোলাত চাৰ হাৰ্বাৰ্ট ৰিজ্‌লী (Sir Herbert Risley)য়ে। তেওঁ ভাৰতৰ অধিবাসীসকলক তথা মানৱ জাতিক মঙ্গোলয়দ (Mongoloid), ইণ্ডো-এৰিয়ান (Indo Aryan), দ্ৰাবিড়ীয়ান (Dravidian), মঙ্গোল'-দ্ৰাবিড়ীয়ান (Mongolo-Dravidian), এৰিঅ' দ্ৰাবিড়ীয়ান (Aryo-Dravidian), স্কাইথ'-দ্ৰাবিড়ীয়ান (Scytho-Dravidian) আৰু টুৰ্ক'-ইৰাণীয়ান (Turko-Iranian) - এই সাতটা ভাগত ভাগ কৰিছে।[৪৪] পুৰণি ভাৰতীয় সাহিত্যত থকা কিংবদন্তিবিলাকৰ ওপৰত নিৰ্ভৰ কৰি ৰিজ্‌লীৰ গৱেষণাৰ উৎকৰ্ষ সাধন কৰে ৰাম প্ৰসাদ চন্দ নামৰ এজন ভাৰতীয় নৃতত্ত্ববিদে। তেওঁৰ পিছত ড° জে. এইচ. হাটনে (Dr. J.H. Hutton) আৰু এখোজ আগুৱাই গৈ কোনটো

[৪৩] B.M. Das, **The People of Assam : Origin and Composition**, New Delhi, 2003, pp. 55f.

[৪৪] R.C. Majumdar, *et.al.*(ed.), **The Vedic Age**, Bombay, 1965, p. 143.

[৪৫] **The Census of India**,1931,vol.i,pp.424ff.



মানৱগোষ্ঠীয়ে কোন সময়ত ভাৰতত প্ৰৱেশ কৰিছে তাক নিৰ্ণয় কৰিবলৈ আগবাঢ়ে।[৪৫] তেওঁৰ সেই কালানুক্ৰমকে আজিও গ্ৰহণ কৰি থকা হৈছে। অৱশেষত **Anthropological Survey of India** ৰ সঞ্চালক ড° বিৰজা শঙ্কৰ গুহই মানৱ গোষ্ঠীক নটা উপভাগেৰে সৈতে ছটা মূল ভাগত ভাগ কৰে।[৪৬] সেইকেইটা হ'ল ঃ

১। নেগ্ৰিটো/নিগ্ৰো* (The Negrito)

২। প্ৰটো-অষ্ট্ৰলয়দ/অষ্ট্ৰলয়দ/অষ্ট্ৰিক (The Proto-Austroloid/The Austroloid/The Austric)

৩। মঙ্গোলয়দ (The Mongoloid)

দুভাগত বিভক্ত-

i) প্ৰটো-মঙ্গোলয়দ (The Proto-Mongoloid)

ii) তিব্বত-মঙ্গোলয়দ (The Tibeto-Mongoloid)

i) প্ৰটো-মঙ্গোলয়দ দুই ভাগত বিভক্ত -

a) দীৰ্ঘ মস্তকী (The longheaded)

b) প্ৰশস্ত মস্তকী (The broadheaded)

৪। ভূমধ্য সাগৰীয়/দ্ৰাবিড়ী* (The Mediterranean/The Dravidi)

তিনিভাগত বিভক্ত -

i) প্ৰত্ন-ভূমধ্যসাগৰীয় (The Palaeo Mediterranean)

ii) ভূমধ্যসাগৰীয় (The Mediterranean)

iii) প্ৰাচ্য (The Oriental)

৫। পশ্চিমীয়া প্ৰশস্ত মস্তকী (The Western Brachycephals)

তিনিভাগত বিভক্ত -

i) আলপাইন (The Alpinoid)

ii) ডিনাৰিক (The Dinaric)

iii) আৰ্মেনিয়ান (The Armenoid)

৬। নৰ্ডিক/আৰ্য/ককেচয়দ* (The Nordic/The Aryan/The Caucasoid)

('*' চিন দিয়া নামকেইটা পাঠকৰ সুবিধাৰ্থে সংযোগ কৰি দিয়া হ'ল)

এই ক্ষেত্ৰত অৱশ্যে এই কথা ক'ব লাগিব যে মানুহৰ দৈহিক গঠনৰ জোখ-মাখ আৰু তাৰ আকৃতি-প্ৰকৃতি অধ্যয়ন কৰি মানুহক বিভিন্ন গোষ্ঠীত ভাগ কৰাৰ যি পদ্ধতি আগতে প্ৰচলিত আছিল, বৰ্তমান কালত সেইবিলাকৰ গুৰুত্ব নোহোৱা হৈ পৰিছে, কাৰণ, মানুহৰ মাজত তেজৰ সংমিশ্ৰণ ইমান প্ৰচুৰভাৱে ঘটিছে যে বৰ্তমান পৃথিৱীত

[৪৬] **The Vedic Age**,pp.144f.

যিখন গছত নলগা তামোলৰ আৰু কটাৰি ধাৰে নকটা আৰু হাতেৰে চুণ নসনা। দ্বিতীয় পৰীক্ষাত জনাই গোপীচনক লোৰ ঢেকী এটা এখন কুঠাৰেৰে দুফাল কৰিবলৈ কৈছে। কুঠাৰখন কাঠৰ আৰু নালটো মৰাঠাৰিৰ। তৃতীয় পৰীক্ষাত জনাই গোপীচনক তিনিশ হাত ওখ শালগছ এডাল জাপ মাৰি আগত ধৰি উঘালি পেলাবলৈ কৈছে। গোপীচনে এনেবোৰ পৰীক্ষাত অলৌকিক শক্তিৰ সহায়ত উত্তীৰ্ণ হ'ব পাৰিছে।

বিভিন্ন দেশৰ পুৰাণকথাত দুই ধৰণৰ কাহিনী চকুত পৰে। এবিধত ৰূপহী ৰমণী বন্দী হৈ থাকে আৰু বীৰ পুৰুষে গৈ তেওঁক অশুভ শক্তিৰ কবলৰ পৰা উদ্ধাৰ কৰে। আন এবিধত নাৰীৰ হাতত পুৰুষ বন্দী হ'ব পাৰে। নাৰীৰ হাতত পুৰুষ বন্দী হোৱা কাহিনীয়ে সমাজত নাৰীৰ স্থান সম্পৰ্কে কিছু আভাস দাঙি ধৰে। জনা গাভৰুৰ কাহিনীত শেষত গৈ গোপীচনে জনাক জয় কৰিছে যদিও সাময়িক ভাবে ন শ কোঁৱৰ জনাৰ হাতত বন্দী হৈছে। চুতীয়া জাতিৰ ইতিহাসত নাৰীৰ মৰ্যদা বিষয়ে সাধনীৰ কাহিনীৰ দৰে জনা গাভৰুৰ কাহিনীয়েও ইংগিত দিয়ে। ৰুক্মিনীৰ সয়ম্বৰৰ লগত সাধনীৰ সয়ম্বৰৰ সাদৃশ্য থকাৰ দৰেই এই সয়ম্বৰৰ লগত জনা গাভৰুৰ কাহিনীটোৰো সাদৃশ্য আছে। জনাৰ পাণি প্ৰাৰ্থীৰ দৰেই সয়ম্বৰত উপস্থিত থকা বীৰসকল একপ্ৰকাৰৰ পৰীক্ষাতেই অৱতীৰ্ণ হয়। জনজাতীয় সমাজত বিবাহৰ ক্ষেত্ৰত নাৰীৰ নিজা মতামতৰ কিছু মূল্য থাকে যদিও জনাই পাণিপ্ৰাৰ্থীৰ মাজত পতা পৰীক্ষাই নাৰীৰ ক্ষমতা আৰু সামাজিক মৰ্যদাৰ কথা কয়।

ৰুক্মিণীৰ কাহিনীটোৰ লগত জনা গাভৰুৰ কাহিনীটোৰ কিছু সাদৃশ্যও মন কৰিবলগীয়া। ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰ, জনাগাভৰুৰ কাহিনীত ভাতৃ অভিমান। সদিয়া, কুণ্ডিল, শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ কাহিনীটোৰ অনুকৃতিত জনা গাভৰুৰ কাহিনীটো গঢ় দিয়া হৈছে বুলি অনুমান কৰিব পাৰি।

অসমৰ সংস্কৃতিত বিভিন্ন উপজাতিৰ সংস্কৃতি মিলি গৈছে। লোক সংস্কৃতিৰ উপাদানে আধুনিক অসমীয়া সাহিত্য সংস্কৃতিক উপজীব্য যোগান ধৰি ইয়াক চহকী কৰিছে। জাতি উপজাতিৰ বিচিত্ৰ সংস্কৃতি অসমীয়া সংস্কৃতিৰ দলিচাখনত নক্সা আৰু ফুল হৈ সোমাই পৰিছে। বেণুধৰ শৰ্মাদেৱে নাৰ্য্যভাবেই উল্লেখ কৰিছে যে আহোমৰ হাতত চুতীয়া পৰাজয় হোৱাৰ পিছতো চুতীয়াৰ সংস্কৃতি জীয়াই থাকিল - "চুতীয়াৰ সৌন্দৰ্যবোধ, শিল্পবিদ্যা, সংস্কৃতি সভ্যতাৰ নিদৰ্শন আহোমৰ মাজত সোমাই গোটেই অসম বিয়পি পৰিল।"[১৪]

চুতীয়া জাতিৰ সংস্কৃতিৰ উল্লেখ থকা বিভিন্ন লোকগীত আৰু কাহিনীয়ে বেণুধৰ শৰ্মাই কৰা উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰে। অসমীয়া মানুহৰ গাঁৱে ভূঞে মানুহৰ ঘৰক আশ্ৰয় কৰি বৰ্তি থকা এবিধ চৰাই ঘৰ শালিকা বা চুতীয়া শালিকা। এই চৰাই বিধে

[১৪] বেণুধৰ শৰ্মা, পূৰ্বে উল্লেখিত প্ৰবন্ধ, পৃঃ ১৬



মানুহৰ ঘৰতে বাহ লয় আৰু বাহ ললে গঞালোকে সেই বাহ ভাঙি চৰাইক খেদাই নিদিয়ে। সিহঁতে খেৰৰ ঘৰৰ অনিষ্টও কৰে, তথাপি পৰম্পৰাই সিঁহতৰ উৎপাত সহ্য কৰিবলৈ শিকায়। এই চৰাইবিধে মানুহৰ মাত অনুকৰণ কৰিব পাৰে আৰু শিকালে মাত লয়। মাত লোৱা আনবিধ শালিকা হৈছে মইনা শালিকা। "বুঢ়া শালিকাই মাত নলয়' বুলি কোৱা আপ্তবাক্যটোৱে চুতীয়া শালিকাৰ কথাকে কয়, কাৰণ এইবিধ শালিকাৰ পোৱালি ধৰি মাত শিকোৱাটো তেনেই সহজ কাম আছিল। এসময়ত বহুত গাঁৱত ল'ৰা ছোৱালীয়ে শালিকা পুহি মাত শিকাইছিল। অসমৰ গাঁৱে ভূঞে এতিয়াও সংগৃহীত নোহোৱা অনেক সাধু কথা আছে যিবিলাকত চুতীয়া শালিকা চৰাইৰ বিভিন্ন ভূমিকা আছে। কোনোবা বেজিনীয়ে যাদুৰ বলত কোনো ৰূপহী গাভৰু বা ৰূপহ ডেকাৰ মূৰত কোটকোৱা কাঁইট এডাল হঠাৎ গুজি দি মানুহক চুতীয়া শালিকা কৰি দিয়ে। যাদুশক্তি খণ্ডন কৰি সত্য আৱিস্কাৰ কৰিবলৈ চুতীয়া শালিকা সুবিধাজনক, যিহেতু চোতালেই তাৰ ঘাই বিচৰণভূমি। উজনি অসমৰ এটা জনপ্ৰিয় ওমলা গীত এনে ধৰণৰ ঃ "শালিকী এ ৰতৌ তৌ/ ভাত হ'ল শাক হ'ল শালিকী বাই কেহেলৈ গ'ল/ এইখিনতে আছিলে গোবৰ খুচৰি/ কোনোবাই লৈ গ'ল টেটু মুচৰি।" তলত আঁচটনা শব্দকেইটা গীতটোৰ লিখিত ৰূপত কিছু সলনি হৈ ক্ৰমে 'ক'লৈ', 'এইখিনিতে' আৰু 'ডিঙি' হৈছে।

এই ওমলা গীটতোত শালিকীজনীক 'বাই' বুলি কৰা সম্বোধন, ভাত শাক ৰান্ধি হোৱাৰ পিছত খাবৰ পৰত চৰাইজনীক কৰা বিচাৰ খোচাৰ আৰু শালিকী কাৰোবাৰ চিকাৰ হোৱাৰ উল্লেখে গীতৰ মাজেদি গীত ৰচনা কৰা আৰু গোৱা মানুহখিনিয়ে পশু পখী সমন্বিতে প্ৰকৃতিৰ লগত সুস্থ আৰু শুদ্ধ সম্পৰ্ক স্থাপন কৰাৰ ইংগিত দিয়ে। চুতীয়া জাতিৰ মানুহৰ মাজত আজিও অতি প্ৰিয় এই ওমলা গীতটোৰ মাজেদি জাতিটোৰ চাৰিত্ৰিক বৈশিষ্ট্যৰো আভাস এটা পাব পাৰি। চুতীয়া মানুহৰ গাঁৱত আজিও জনপ্ৰিয় আন এটা ওমলা গীত এনে ধৰণৰ - "হাতত কাড়েফাই/ ল হেৰ' দদাই/ মাৰ ঐ মাৰ ঐ বালি চৰাই।" কাড়ফাই ধেনুখন চুতীয়াৰ ধেনু, কিন্তু এই ওমলা গীতটো অসমীয়া সংস্কৃতিৰ বৃদ্ধি আৰু বিকাশৰ লগে লগে অসমীয়া লোকগীতৰ ভিতৰুৱা হৈ পৰিছে।

কিছুমান বিহুনামত চুতীয়া ৰাজ্য আৰু চুতীয়া সংস্কৃতিৰ প্ৰসঙ্গ সকলোৰে চকুত পৰা ধৰণৰ - "হাবি কাটি সোমাই যাওঁ/ সদিয়ালৈ পোনাই যাওঁ/ জিৰাই যাওঁ কদমৰ তলত/ তুমি দিয়া ৰুমালেৰে/ চকুপানী টুকি যাওঁ/ পেলাই যাওঁ তোমালৈ মনত।" বিহুনাম এটা ৰচনা কোনে কৰিছিল খাটাংকৈ কোনেও কব নোৱাৰে, কিন্তু এই বিহুনামটোত সদিয়ালৈ পোনাই যাব লগা হৈছে কিয়? তেওঁ ক'ৰ পৰা কিমান দূৰ হাবি কাটি গৈ সদিয়া পাব? তেওঁৰ প্ৰেয়সীক এৰি সদিয়ালৈ যে যাবলৈ ওলাইছে তাৰ উদ্দেশ্য কি? সদিয়াত এনে কি বস্তু বা কাম আছে যাৰ বাবে তেওঁ চকুপানী টুকি টুকি বাট কাটি উলিয়াই তালৈ যাব লাগে? তেওঁক ৰুমাল উপহাৰ দিয়া প্ৰেয়সীজনী ক'ত আছে? আন

অনেক বিহুনামৰ দৰে এই বিহুনামটোৰ অৰ্থব্যঞ্জনা সৰল নহয়। ইয়াত কিছুমান ইংগিত ব্যঞ্জনা সোমাই আছে। সদিয়ালৈ যাবলৈ বাট নাই কাৰণে ডেকাজনে হাবি কাটি বাট এটা উলিওৱাৰ কথা কোৱা নাই। বাট নিশ্চয় আছে। কিন্তু ঘূৰি পকি যোৱা দূৰ বাট হ'ব পাৰে। তেওঁ অতি জৰুৰীভাবে অতি কম সময়ত সদিয়া পাবগৈ লাগে। দূৰ বাটেদি ঘূৰি পকি গৈ সময় নষ্ট কৰিব তেওঁ নোৱাৰে। তেওঁ ক'ৰ পৰা ক'লৈ হাবি কাটিবৰ প্ৰস্তাৱ কৰিছে সেই কথা নজনাকৈও অনুমান কৰিব পাৰি যে হাবি কাটি কাটি বাট উলিয়াই যাবলৈ হ'লে তেওঁ সময় বচোৱাৰ আশা কম। থকা বাটটোৰে নগৈ হাবি কাটি পোন বাট উলিয়াবলৈ বিচৰা এই প্ৰেমিক যুৱক কিছু দুঃসাহসিক আৰু খেয়ালী স্বভাৱৰ। কোনো এদিনীয়া কামৰ কাৰণে এনে দুঃসাহসিক কাম কৰিবলৈ বিচৰা হ'লে বিহুনামটোত কামটোৰ উল্লেখ থাকিলহেঁতেন। তেনে ডাঙৰ কাম সময় সাপেক্ষ হোৱাৰ সম্ভাৱনা। বিহুনামটোত প্ৰকাশ পোৱা দুঃসাহসিক অভিযানকাৰী ডেকাৰ ভাবোচ্ছ্বাসত সদিয়ালৈ এটা স্থায়ী চমু বাট কাটি উলিওৱাৰ আকাংক্ষা প্ৰকাশ পাইছে। বিহুৱা ডেকাজনে সদিয়াৰ পৰা নিলগত থাকি নিশ্চয় যন্ত্ৰনাক্লীষ্ট হৈছে। বিহুনামত প্ৰেম, বিৰহ আৰু মিলনে মুখ্য স্থান লাভ কৰে যদিও এইটো বিহুনামত প্ৰেম আৰু বিৰহতকৈ সদিয়াইহে অধিক গুৰুত্ব পাইছে। সদিয়া-প্ৰেম প্ৰেয়সীৰ প্ৰেমতকৈও তীব্ৰতৰ আকৰ্ষণ হৈছে। বিহুনামটোত থকা 'ৰুমাল' শব্দটোৱে ইয়াৰ ৰচনা কাল প্ৰাচীন যুগ নহয় বুলি সাব্যস্ত কৰিছে। কিন্তু যি কাৰণত ডেকাই সদিয়ালৈ পোনাই যোৱাৰ আকৰ্ষণ তীব্ৰভাবে অনুভৱ কৰিছে তাৰ লগত সদিয়াৰ প্ৰাচীন গৌৰৱ আৰু ইতিহাস জড়িত হৈ আছে। একালৰ গৌৰবোজ্বল সদিয়া এতিয়া (বিহুনামটোৰ ৰচনাকালত) দুৰ্গম ঠাইলৈ পৰ্যবসিত হৈছে কিন্তু ইতিহাস সচেতন ডেকাই সেই দুৰ্গম সদিয়াৰ প্ৰতি প্ৰাণৰ টান অনুভৱ কৰিছে। বিহুৱা ডেকাই হাবি কাটি সদিয়ালৈ বাট পোনাই যোৱাৰ কাম কাৰ্যকৰী কৰিলেনে নাই গম পোৱা নাযায়, কিন্তু বিহুনামটোৱে সদিয়াৰ লগত আবেগিক সম্পৰ্কক স্থায়ীভাবে গীতৰ মাজত উদ্‌যাপন কৰিলে।

আলোচনা কৰা বিহুনামটোৱে সদিয়াৰ পৰা বিতাৰিত কোনো লোকৰ সদিয়াৰ লগত থকা আত্মিক সম্পৰ্কক কল্পনাৰে পুনৰ নিৰ্মাণ কৰিবলৈ ৰচনা কৰা হৈছিল সেই কথা আন এটা লোকগীতেও সমৰ্থন কৰে - "গোঁসাই আছে সদিয়াত, আমি আছো ইয়াত/ পৰি পৰি সেৱা কৰো কঠালৰ হিয়াঁত।" শিৱসাগৰ চাৰিং অগ্নিবৰ খনিকৰ গাঁৱৰ শ্ৰীযুত মীনেশ্বৰ খনিকৰে সংগ্ৰহ কৰি দিয়া এই লোকগীতটোৰ নিৰ্যাস সদিয়াৰ পৰা বিতাৰিত লোকৰ সদিয়াৰ লগত থকা আধ্যাত্মিক সম্পৰ্ক। সদিয়া এৰি আহিও কল্পনাৰে সদিয়াৰ লগত আধ্যাত্মিক সংযোগ ৰক্ষা কৰা হৈছে। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত এফালৰ সদিয়াৰ কেঁচাইখাঁতী গোঁসানী কৃষ্ণ গোঁসাই হৈছে আৰু সদিয়াও হৈ পৰিছে দুৰ্গম নিলগৰ ঠাই, কিন্তু নিলগৰ পৰাই সদিয়াৰ গোঁসাইক পৰি পৰি সেৱা জনোৱা হৈছে। কঠালৰ হিঁয়া হ'ল কঠাল কাঠৰ সিংহাসন বা আসন। এই আসনত মূৰ দোঁৱাই সদিয়াৰ গোঁসাইক



স্মৰণ কৰা হৈছে। আহোমৰ লগত হোৱা যুদ্ধত পৰাজিত হৈ চুতীয়া মানুহ নিজ ৰাজ্যৰ পৰা বিতাৰিত হৈ সদিয়াৰ পৰা দূৰত অৱস্থান কৰাৰ পৰত চুতীয়া ৰাজ্য আৰু সদিয়াৰ শৌৰ্য-বীৰ্যৰ স্মৃতি মানুহবোৰে কঢ়িয়াই নিছিল আৰু পিছৰ পুৰুষৰ স্মৃতিত সি ক্ৰমে অস্পষ্ট আৰু ধূসৰ হৈ পৰে। ইতিমধ্যে চুতীয়া মানুহৰ একাংশ অসমৰ জাতি জনজাতিৰ লগত মিলি গৈছে। লোক সংস্কৃতিৰ উপাদানে কেৱল জাতিটোৰ একালৰ সভ্যতা সংস্কৃতিৰ কথা সোঁৱৰাই দিয়ে। শিৱসাগৰ মাহমৰাৰ দক্ষিণ বৰপথাৰ গাঁৱৰ শ্ৰীযুত চেনীৰাম চুতীয়াই সংগ্ৰহ কৰি দিয়া দুটামান লোকগীতত সেই ধৰণৰ অতীত গৌৰৱৰ সুৰ ফুটি উঠিছে - "সদিয়াৰ ব'ৰাগী ফুৰো দেশ ভ্ৰমি, কুণ্ডিলৰ পাৰৰে প্ৰজা/প্ৰাণে মোক কন্দুৱাই, মনে মোক নচুৱাই, দেহাটি মাটিৰে গঢ়া।" বীন ব'ৰাগীৰ এই গীতটিত দেহবিচাৰৰ লগতে ঐতিহাসিক তথ্য আৰু তাৰ প্ৰতি ব'ৰাগীৰ প্ৰতিক্ৰিয়াও সোমাই পৰিছে। দেশ ভ্ৰমি ফুৰিলেও ব'ৰাগীয়ে নিজৰ পৰিচয় 'কুণ্ডিলৰ পাৰৰ প্ৰজা' বুলি ব্যক্ত কৰিছে। তেওঁৰ প্ৰাণে তেওঁক কন্দুৱাৰ কথাটো ব'ৰাগীৰ একান্ত ব্যক্তিগত নহয়। কুণ্ডিল পাৰৰ পৰা বিতাৰিত অনেক প্ৰজাৰ মনৰ দুখহে তেওঁ ব্যক্ত কৰিছে। সেই দুখ অন্য এক দুখৰ লগত মিলি গৈছে - দেহাৰ ক্ষণভংগুৰতাৰ দুখ - 'দেহাটি মাটিৰে গঢ়া'। চুতীয়া ৰাজ্যৰ পতনে তেওঁক দুখ দিলেও কল্পনাৰে সেই ৰাজ্যত বিচৰণ কৰোতে তেওঁৰ মন আনন্দত নাচি উঠিছে।

বিহু কৃষিজীৱী ৰাইজৰ উৎসৱ আৰু অসমৰ বিহু সংস্কৃতিলৈ বিভিন্ন কৃষিজীৱী জাতি উপজাতিৰ বৰঙণিও আছে। তাৰে ভিতৰত কিছুমান বিহুনামে বিশেষ জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনৰ পৰা সমল আহৰণ কৰিছে বুলি ঠাৱৰ কৰাটো টান কাম নহয়। উদাহৰণ স্বৰূপে চুতীয়াৰ ডাব কটাৰীখনৰ কথা উল্লেখ কৰিব পাৰি। চুতীয়া জাতিৰ বুৰঞ্জী সম্পাদনা সমিতিয়ে ২০০৫ চনত চলোৱা এটা সমীক্ষাত এটা কথা ওলাই পৰিছে যে আজিও চুতীয়া মানুহে বাস কৰা গাঁৱত ডাব কটাৰী বা ডবুৱা কটাৰী ঘৰে ঘৰে ব্যৱহাৰ কৰে। ডবুৱা কটাৰীৰ পৰম্পৰাক চুতীয়া মানুহে ধৰি ৰাখিছে। এই ডবুৱা কটাৰীৰ উল্লেখ থকা এটা জনপ্ৰিয় বিহুনাম বিহু মাৰোতে আৰম্ভণি বিহুনাম হিচাপে গোৱা হয় -

"ছাগে ছেলাবৰে ডবুৱা কটাৰী পহু ছেলাবৰে মিত

গাঁৱৰ বুঢ়া মেথা দায় নধৰিবা গাই যাওঁ বতৰৰ গীত।"

'বুঢ়া মেথা' মানে হ'ল গাঁৱৰ সন্মানীয় বয়োজ্যেষ্ঠ লোক। বিহুৱা ডেকাই বিহুনামেৰে পোনতে সেই সন্মানীয় লোকসকললৈ বিহুনামেৰে শ্ৰদ্ধা যাচিছে। এই প্ৰস্তাৱনা বিহুনামটোতে চুতীয়াৰ ডাব কটাৰীৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে অসমৰ বিহু সংস্কৃতিলৈ চুতীয়াসকলে বিস্তৰ বৰঙনি আগবঢ়াইছে।

লোকসাহিত্য, কিংবদন্তি, পুৰাণকথা, সাহিত্য আদি সমলৰ পৰা চুতীয়া জাতি সম্পৰ্কে যিখিনি কথা জানিব পৰা গৈছে তাৰ ভিত্তিত কব পাৰি যে এই জাতিটো সংস্কৃতিৰ

দিশত বৰ আগবঢ়া জাতি আছিল। সময়ৰ সোঁতত আৰু সাংস্কৃতিক বিনিময় হৈ চুতীয়া সংস্কৃতি অসমীয়া সংস্কৃতিৰ মাজতে জীন গৈছে। মেকুৰী বৃষকাষ্ঠই তেওঁলোকৰ জাতীয় চৰিত্ৰৰ কিছু আভাস দিয়ে। ব্যৱসায় বাণিজ্যৰ প্ৰতি তেওঁলোকৰ আগ্ৰহৰ কথা ৰাজ্যখনৰ অৱস্থানৰ পৰা জানিব পাৰি। বিহুনামত থকা মিচিমিয়ে আনি বৰবিহ বিক্ৰি কৰা বজাৰখন চুতীয়া ৰাজ্যত আছিল। বিহুনামৰ প্ৰেমিকজন চুতীয়া ডেকাও হ'ব পাৰে অথবা আন যিকোনো বিৰহী প্ৰেমিক ডেকা হ'ব পাৰে, কিন্তু মিচিমিয়ে বৰবিহ বিক্ৰি কৰা বজাৰখনৰ কথা তেওঁ জানে।

সাহিত্যৰ জন্ম লগ্নৰ পৰাই সাহিত্য সংস্কৃতিৰ মঞ্চত মংগল-অমংগলৰ দ্বন্দ মঞ্চস্থ হৈ আহিছে। লোক সংস্কৃতিকে ধৰি সকলো সাহিত্য সংস্কৃতিৰে চূড়ান্ত লক্ষ্য মানুহৰ কল্যাণ। আদিম জনগোষ্ঠীসমূহৰ অনেক আচাৰ অনুষ্ঠান আৰু নৃত্য গীতত এই অমংগলক পৰাজিত কৰাৰ ইচ্ছা আৰু আকাংক্ষা নিহিত হৈ থাকে। চুতীয়া জাতিৰ কুলা বুঢ়ী নৃত্য তেনে ধৰণৰ এক নৃত্য। এই নৃত্যৰ প্ৰতীকী অৰ্থ ব্যঞ্জনা হৈছে অমংগল নিধন। বিহুনাম, বিহুনাচ, আইনাম, ধাইনাম, নিচুকনী গীত, ওমলা গীত, হুচৰি নাম আদি লোকসংস্কৃতিলৈ চুতীয়া সংস্কৃতিয়ে বিস্তৰ বৰঙনি আগ বঢ়াইছে। একালত সাহিত্য সংস্কৃতিৰে চহকী এই আদিম জনগোষ্ঠীটোৰ সাম্প্ৰতিক প্ৰগতি কিন্তু বৰ সন্তোষজনক নহয়। বিভিন্ন ঐতিহাসিক আৰু ৰাজনৈতিক কাৰণত একবিংশ শতিকাৰ অসমত জাতিটো পিছপৰি ৰৈছে।

# চুতীয়াসকলৰ সামাজিক আচাৰ অনুষ্ঠান

প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা কিছুমান আচাৰ-অনুষ্ঠান আৰু উৎসৱ-পাৰ্বণ আছে। সেইবিলাকৰ জৰিয়তে তেওঁলোকৰ সংস্কৃতিৰ কিছু আভাস পাব পাৰি। বিবৰ্তনৰ পথত সেই আচাৰ-অনুষ্ঠান বিলাকৰ আদিম ৰূপৰ পৰিবৰ্তন ঘটিছে যদিও তাৰ মাজত কেতিয়াবা কিছু বিশিষ্টতা দেখা যায়। এই বিশিষ্টতাবোৰে জাতিটোৰ অতীত সামাজিক বুৰঞ্জীৰ ওপৰত কিছু আলোকপাত কৰে। চুতীয়াসকলৰ মাজতো জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় কিছুমান অনুষ্ঠান আৰু আৰ্থ-সামাজিক ভেটিত গঢ়ি উঠা কিছুমান উৎসৱ আছে। বৃহত্তৰ অসমীয়া সংস্কৃতিত মিলি যোৱাৰ ফলত এইবিলাকৰ প্ৰকৃত ৰূপ কিছুপৰিমানে হেৰাই গৈছে যদিও তাৰ মূলটো বহু ক্ষেত্ৰত এতিয়াও উঘাল খাই যোৱা নাই। এই নিবন্ধত ভিতৰুৱা চুতীয়া গাঁৱত আজিও জীয়াই থকা কিছুমান ৰীতি-নীতি, সামাজিক অনুষ্ঠান আৰু উৎসৱ পাৰ্বণৰ আলোচনা কৰা হৈছে। ইয়াৰ দ্বাৰা সেই কথা প্ৰতিপন্ন কৰিবলৈ যোৱা হোৱা নাই যে, সেইবিলাক কেৱল চুতীয়াসকলৰ আছুতীয়া সম্পত্তি। পুৰণি সকলো কৃষিজীৱী সমাজতে কৃষিক কেন্দ্ৰ কৰি কিছুমান উৎসৱ পালন কৰা হৈছিল। জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় নীতি-নিয়মবোৰো এটা জনগোষ্ঠীৰ আছুতীয়া বৈশিষ্ট্য নহয়। সময় আৰু স্থানভেদে একেটা জনগোষ্ঠীয়েই একেটা উপলক্ষ্যত সুকীয়া সুকীয়া নিয়মেৰে একেখিনি কামেই সম্পাদন কৰে। এই প্ৰৱন্ধত যি আচাৰ অনুষ্ঠানৰ বিৱৰণ দিয়া হৈছে সেইয়া সকলো চুতীয়া লোকৰ ক্ষেত্ৰতে প্ৰযোজ্য নহ'ব পাৰে। কাৰণ তেওঁলোকৰ পকাপন্থী আৰু কেঁচাপন্থী সকাম-নিকাম পালনত মানি চলা নীতি-নিয়মৰ পাৰ্থক্য আছে।

স্থানীয় প্ৰতিবেশীসকলৰ প্ৰভাৱ আৰু সময়ৰ চাহিদায়ো পৰম্পৰা বিলাকলৈ পৰিৱৰ্তন আনে। সেইবিলাকৰ প্ৰত্যাহ্বানৰ স্বতেও দুই এটা ক্ষেত্ৰত প্ৰতিটো জনগোষ্ঠীৰ সভ্যতা সংস্কৃতিৰ মাজত কিছু বিশিষ্টতা চকুত পৰে আৰু এই বিশিষ্টতাই তেওঁলোকৰ সভ্যতা সংস্কৃতিৰ এটা সমীক্ষা ল'বলৈ সহায় কৰে। এই কথা চকুৰ আগত ৰাখিয়েই এই নিৱন্ধত চুতীয়া জনগোষ্ঠীৰ মাজত আজিও প্ৰচলিত কিছুমান আচাৰ-অনুষ্ঠান আৰু উৎসৱ-পাৰ্বণৰ বিৱৰণ দাঙি ধৰা হ'ল।

## সন্তান জন্ম আৰু লালন-পালন সম্পৰ্কীয় আচাৰ-অনুষ্ঠান

অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলেও সন্তান জন্ম সম্পৰ্কীয় আচাৰ-অনুষ্ঠানবোৰ মাতৃৰ গৰ্ভত সন্তান স্থিতি হোৱাৰ পৰাই আৰম্ভ কৰে। গৰ্ভাৱস্থাৰ পাঁচ মাহত গৰ্ভৱতী মাতৃগৰাকীক পঞ্চামৃত খুওৱা হয়। এই অনুষ্ঠান নতুন প্ৰসূতিগৰাকীৰ মাকৰ ঘৰত অনুষ্ঠিত কৰে। সেই উপলক্ষে প্ৰতিবেশী পাঁচগৰাকী গোপিনীক নিমন্ত্ৰণ কৰে আৰু তেওঁলোকক মাহ-প্ৰসাদ, ফল-মূল আৰু পঞ্চামৃত মিহলোৱা ভাত-পিঠাৰে আপ্যায়িত কৰে। তেওঁলোকে ভোজন কৰাৰ আগতে আইমাতৃ অৰ্থাৎ গোঁসানীৰ নামত এখন পাত সজায়। ভোজনৰ পূৰ্বতেই গোপিনীসকলৰ বয়োজ্যেষ্ঠ গৰাকীয়ে সগৰ্ভা মাতৃগৰাকীক আশীৰ্বাদ দিয়ে। তেওঁলোকৰ ভোজনৰ পিছতহে আইমাতৃৰ নামত আগবঢ়োৱা নৈবেদ্যৰ লগতে পঞ্চামৃত মিহলোৱা ভাত-পিঠা ঘৰৰ অন্যান্যসকলক বিলাই দিয়ে। এইটো সকামত পুৰুষৰ কোনো ভূমিকা নাই। এই সকাম বেলি ঘূৰাৰ আগতে অৰ্থাৎ ৰাতিপুৱা বেলা দহ-বাৰ বজাৰ ভিতৰত অনুষ্ঠিত কৰে। গৰ্ভৱতী মাতৃৰ ন মাহত প্ৰসূতি পিঠাগুড়ি খোওৱাৰ সকাম পাতে। এই সকামলৈয়ো প্ৰতিবেশী পাঁচ গৰাকী গোপিনী মাতে, কিন্তু তাৰে তিনিগৰাকী বৃদ্ধা হ'ব লাগিব। পিঠাগুড়িৰ লগত কল, গাখীৰ, গুৰ দিয়া হয়। কোনো কোনোৱে পায়সো আগবঢ়ায়। ভোজনৰ আগতে কোনো বিঘিনি নোহোৱাকৈ সন্তান প্ৰসৱ কৰিবলৈ মাতৃগৰাকীক আশীৰ্বাদ দিয়ে।

সন্তানৰ জন্মৰ দিনাৰ পৰা ঘৰৰ দুৱাৰ মুখত বগৰীৰ জেং, ফটা জাল আদি ওলোমাই দিয়া হয়। জাৰৰ দিনত হ'লে প্ৰসূতি থকা কোঠাত একুৰা জুই জ্বলাই থোৱা হয়। প্ৰসূতি থকা কোঠাটোলৈ হাত-ভৰি নোধোৱাকৈ কাকো যাবলৈ দিয়া নহয়। যিসকলক প্ৰবেশ কৰিবলৈ দিয়া হয় তেওঁলোকে জুইত হাত সেকিহে নৱজাতকক দূৰৈৰ পৰা চাব পাৰে। প্ৰসূতিৰ বিচনাৰ কাষত কাচি বা কটাৰী এখন ৰখা হয়। বিশ্বাস যে বগৰিৰ জেং, কাচি বা কটাৰী ৰাখিলে অপদেৱতাই নৱজাতকৰ অমঙ্গল ঘটাব নোৱাৰে। সন্তান জন্মৰ তিনিদিনৰ দিনা প্ৰসূতিক কচু শাকৰ লগত পাৰৰ মাংস অথবা কাৱৈ-মাগুৰ মাছৰ লগত জালুক দি জাল খোওৱা হয়।

কোনো কোনো অঞ্চলত কেঁচুৱাৰ জন্মৰ ষষ্ঠ দিনা ষষ্ঠী বুলিও কিছুমান নিয়ম পালন কৰে। সেইদিনা সন্ধিয়া প্ৰসূতিৰ বিচনাৰ কাষতে এখন তামুলী পীৰাত শুদ্ধ বগা কাপোৰ এখন পাৰি কাঁহৰ বৰ বাতি এটাত এটা ভোজনি, এখন কিতাপ, এখিলা বগা কাগজ, এটা কলম, পুত্ৰ সন্তান হ'লে এযোৰ ধনু-কাঁড় আৰু কন্যা সন্তান হ'লে এটা মাকো এগছি চাকি জ্বলাই সজোৱা হয়। বিশ্বাস যে বিধাতাই সেই দিনাহে পীৰাত থোৱা কাগজ-কলম লৈ নৱজাতকৰ ভাগ্য লিখি থৈ যায়। পিছ দিনা কোনো দৈৱজ্ঞৰ হতুৱাই দশা চোৱাই নামকৰণ কৰে।



জন্মৰ সাত, ন বা এঘাৰ দিনত মুঠতে কেঁচুৱাৰ নাড়ী সৰাৰ পিছতে বাজ উলিওৱা বা বাহিৰলৈ উলিওৱা সকাম পতা হয়। ওচৰ-পাজৰৰ গোপিনীসকলক নিমন্ত্ৰণ কৰি গৃহস্থৰ চোতালত এই আচাৰখিনি পালন কৰা হয়। চোতালত এটি খেৰৰ জুমুঠি জ্বলাই তাৰ কাষতে পীৰা এখনত গামোচা এখন, এটা শিল, এবাতি পানী, সৰু বাতি এটাত মিঠাতেল আৰু পীৰাখনৰ কাষতে আগলি কলপাতত খেৰৰ সোপা দুটা থোৱা হয়। মাকে সন্তানটি আনি পূবলৈ মূৰ কৰি শুৱাই দিয়ে। পুত্ৰসন্তান হ'লে ধনু-কাঁড়, কিতাপ-বহী আদি আৰু কন্যা সন্তান হ'লে কপাহ মাকো, কিতাপ-বহী আদি হাতত ধৰোৱাই দিয়ে। তাৰ পিছত মাকে সন্তানক কোলাত লৈ জুমুঠি আৰু পীৰাখনৰ চাৰিওফালে তিনিপাক ঘূৰিব লাগে। ঘূৰাৰ পিছত জুই, পানী আৰু শিলটোলৈ টোঁৱাই 'জুইলৈ ভয় নকৰিবি', 'পানীলৈ ভয় নকৰিবি', 'ৰণলৈ ভয় নকৰিবি' বুলি কয়। গোপিনীসকলে দিয়া তামোল-পাণ, মাহ-প্ৰসাদ হাতত লৈ মাকে সন্তানসহ সূৰ্যলৈ চাই সেৱা কৰে। বাতিত থকা তেল আইসকলে ঘহে আৰু সন্তানটিকো ঘহি দিয়ে। ইয়াৰ পিছত মাকে সন্তানসহ গোপিনীসকলক সেৱা কৰে। উল্লেখযোগ্য যে, এই অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বেই সন্তানটিৰ মুণ্ডন কৰোৱা হয়। কোনো কোনো ঠাইত বাজ ওলোৱাৰ দিনাই গোপিনীসকলে সন্তানৰ নামকৰণ কৰে। ষষ্ঠীৰ দিনা সজাই থোৱা ভোজনি সেইদিনা কোনোবা ভিখাৰী অথবা দৰিদ্ৰ লোকক দিয়া হয়।

সন্তান জন্মৰ এমাহ হ'লে শুদ্ধি সকাম পতা হয়। কন্যা সন্তান হ'লে এই সকামত গোপিনী অৰ্থাৎ তিৰোতাসকলে মূল ভূমিকা গ্ৰহণ কৰে আৰু পুত্ৰ সন্তান হ'লে পুৰুষ তিৰোতা উভয়ে সমানে অংশ গ্ৰহণ কৰে। পূৰ্বতে এই সকামত ভোজ ভাত খুওৱাৰ নিয়ম আছিল। আজিকালি জা-জলপানৰ দিহা কৰা দেখা যায়। ভাগৱতী ধৰ্ম গ্ৰহণ কৰাৰ পিছত এই সকামত **কীৰ্ত্তন** পাঠ কৰা হয় আৰু ইয়াৰ অন্তত মাতৃ, নৱজাতক আৰু পৰিয়ালৰ সকলোকে আশীৰ্বাদ দিয়া হয়। যিসকলে বামুণীয়া পন্থামতে চলে তেওঁলোকৰ প্ৰসূতিগৰাকীক ব্ৰাহ্মণ পুৰোহিতে সেইদিনাই পুৱা বেলাতে প্ৰায়শ্চিত্ত কৰায়। শুদ্ধি সকামৰ পিছতে সন্তানটিৰ মাতৃয়ে বন্ধা-বঢ়া কৰিব আৰু ঘৰৰ বাহিৰ ওলাই যাব পাৰে।

**কেঁচুৱাৰ প্ৰতি মানি চলা পৰম্পৰা ঃ**

গাঁৱলীয়া চুতীয়া সমাজত কেঁচুৱাৰ প্ৰতি পৰম্পৰাগত ভাৱে চলি অহা কিছুমান বিশ্বাস আৰু কৰণীয় আছে; সেইবিলাকৰে কেইটামান গাঁৱলীয়া পৰম্পৰা উল্লেখ কৰা হ'ল। কেঁচুৱাই নিৰ্দিষ্ট সময়ৰ ভিতৰত খোজ কাঢ়িব লাগে। সাধাৰণতে কেঁচুৱা ছোৱালী হ'লে সোনকালে খোজ কাঢ়ে আৰু ল'ৰা হ'লে অলপ দেৰিকৈ খোজ কাঢ়ে। টিকা ঢমনা ল'ৰা-ছোৱালীয়ে সোনকালে খোজ কাঢ়ে বুলি বুঢ়ী আইসকলে কয়। নিৰ্দিষ্ট সময়ৰ ভিতৰত কেঁচুৱাই খোজ নাকাঢ়িলে সন্দেহ কৰা হয় যে কেঁচুৱাটি মাকৰ গৰ্ভত থাকোতে নিশ্চয় মাকে নাজানি সাকোঁ বা দলঙৰ খৰি আনি জুইত পুৰিছিল। গতিকে পিতৃয়ে

ক'ৰবাত দলং বা সাকোঁ নিদিয়ালৈকে ল'ৰাই সোনকালে খোজ নাকাঢ়ে বুলি বিশ্বাস। লগতে বাহী চোতালত কোনোবা এগৰাকীয়ে কেঁচুৱাক খোজ কঢ়াব লাগে আৰু মাকে কেঁচুৱাৰ দুয়োভৰিৰ মাজেদি কাঁচি এখনেৰে মাটিত আঁক মাৰি মাৰি যাব লাগে। এনেকৈ তিনিদিন বাহী চোতালত খোজ কঢ়ালে কেঁচুৱাই সোনকালে খোজ কাঢ়িব পাৰে বুলি কয়।

কেঁচুৱাৰ নিৰ্দিষ্ট সময়ত মাত নুফুটিলে আঁহতৰ পাতত ভাত বাঢ়ি কেঁচুৱাক খুৱায়। বৰাধানৰ আখৈ ভাজোঁতে উফৰি মাটিত পৰা আখৈ খুৱালে কেঁচুৱাৰ মাত আখৈ ফুটাদি ফুটে বুলি কয়।

কেঁচুৱাই ছন্দিয়াই থাকিলে বাপেক বা মোমায়েকে কেঁকোৰাৰ গাঁতত বন বা ধান খেৰেৰে থাহি থাহি সোপা দিলে কেঁচুৱাই ছন্দিওৱা বন্ধ হয় বুলি বিশ্বাস কৰে।

কেঁচুৱাই অনবৰত লেলেতীয়াই থাকিলে চুৰা পাতৰ ভাত লেলাউতীৰে সানি কুকুৰক খাবলৈ দিলে লেলেতীওৱা বন্ধ হয় বুলি কয়।

চুতীয়া গাঁৱলীয়া সমাজত মুখ লগা কথাটো বিশ্বাস কৰে। কেঁচুৱাক ফুৰাবলৈ নিলে মাকে কেঁচুৱা কোচত লৈ ঘৰৰপৰা ওলাই সূৰ্যক প্ৰণাম জনায়। চোতালৰ মাটিত মাকে থু অকণ পেলাই লৈ সোঁ ভৰিৰ বুঢ়া আঙুলিৰে মাটিত লিপি তাৰে অকণমান আনি কেঁচুৱাৰ কপালত ফোঁট দিহে কেঁচুৱাক লৈ ফুৰিবলৈ ওলাই যায়।

কেঁচুৱাৰ মুখ লগা ভাঙিবৰ বাবে সন্ধিয়া জুইহালত বহি কেঁচুৱাক মাকে কোচত লৈ, হাতত ক'লা সৰিয়হ এমুঠি লৈ, কেঁচুৱাৰ গাত ঘূৰাই ঘূৰাই মন্ত্ৰ মাতি কেঁচুৱাৰ ভৰিৰ তলেদি মুঠি ঘূৰাই আনি জুইত দলি মাৰি পেলাই দিয়ে। এইদৰে মন্ত্ৰ মাতি মাতি এবাৰ সোঁ ভৰিৰ তলেদি, এবাৰ বাওঁ ভৰিৰ তলেদি, এবাৰ দুয়োটা ভৰিৰ তলেদি আনি তিনিবাৰ সৰিয়হ জাৰি জুইত পেলাই দিয়ে।

নতুনকৈ ওপজা ল'ৰা-ছোৱালীক মানুহৰ ঘৰত ফুৰাবলৈ নিলে গৃহস্থই সেই ল'ৰা-ছোৱালীক মূৰত তেল সানি দিয়ে। নহ'লে গৃহস্থৰ ঘৰত নিগনি মেলি থৈ আহে বুলি কয়।

কেঁচুৱাই চক্‌খাই, চক্‌খাই গাত জিকাৰ মাৰি কান্দি কান্দি ঘৰখনক কেতিয়াবা দিনে-ৰাতিয়ে আমনি দিয়ে। কেঁচুৱাই এনেকৈ কান্দি থাকিলে কান্দনি কলাই লাগিছে বুলি বিশ্বাস কৰে। কান্দনি কলাই খেদাবলৈ মোমায়েকে এফালে কেঁচা আঠিয়া কল কেইআখিমান আৰু আনফালে টোম এটাত দলি চপৰা কেইটামান ভৰাই কান্দনি কলাই ভাৰ এখন কৰি কান্ধত লৈ সন্ধিয়া তিনি আলিৰ মূৰত পেলাই থৈ আহে। আকৌ কেঁচুৱা শোৱা শেতেলীৰ ওপৰত কেঁচু মুটা কেঁচুৱাই দেখাকৈ ওলমাই থ'লেও কেঁচুৱাৰ গাৰপৰা কান্দনি কলাই গুচে বুলি বিশ্বাস কৰে।

মানৱ সমাজৰ সকলোতে নিচুকনি গীত প্ৰচলন আছে। এই নিচুকনি গীতবোৰ



সাহিত্য সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। চুতীয়া নিচুকনি গীত বুলি অসমীয়া সমাজত কোনো নিৰ্দিষ্ট নিচুকনি গীত নাই। কিন্তু দুই এটা নিচুকনি গীতত চুতীয়া ৰজা ৰত্নধ্বজপালৰ ৰতনপুৰৰ উল্লেখ আৰু কোনো কোনো গীতত চুতীয়াসকলৰ প্ৰিয় পখী শালিকী চৰাইৰ নাম পোৱা যায়। তাৰে দুটি নিচুকনি গীত তলত উল্লেখ কৰা হ'ল -

(ক)

শালিকি এ লঠৌ ঠৌ<br>
ভাত হ'ল শাক হ'ল<br>
শালিকী বাই কলৈনো গ'ল।<br>
এই খিনিতে আছিলে গোবৰ খোচৰি<br>
কোনোবাই লৈ গ'ল ডিঙি মুচৰি।

(খ)

শিয়ালি এ নাহিবি ৰাতি<br>
তোৰে কান কাটি লগামে বাটি<br>
শিয়ালী মূৰতে মৰুৱা ফুল<br>
শিয়ালী পালেগৈ ৰতনপুৰ।

(গ)

বগলী এ সবাহলৈ নগলি কিয়<br>
গৈছিলো গৈছিলো বাটতে বৰষুণে পালে<br>
চেংদৈ ঘৰ পাই সোমাব খুজিলো<br>
পখৰা কুকুৰে খালে।

(পুৰণি চুতীয়া সমাজত ছোৱালীৰ নামৰ পিছত 'দৈ' আৰু 'মাই' শব্দৰ ব্যৱহাৰ কৰা হৈছিল। যেনে - ৰহদৈ, তৰাদৈ, ভাদৈ, সোণমাই, সৰুমাই, তৰামাই ইত্যাদি)।

য'ৰ-ত'ৰপৰা আহি ভৰি-হাত নোধুৱাকৈ কেঁচুৱা নলয়। কেঁচুৱাক দেৱতুল্য জ্ঞান কৰা হয়। গতিকে কেঁচুৱাক কোনেও বেয়া বুলি নকয় বা খঙো নকৰে। কেঁচুৱাৰ চৰ্চৰণি খালে 'ফু ফু মোমাই কানে যক্' বুলি কৈ কেঁচুৱাৰ মূৰত হাত ফুৰাই দিয়ে। কেঁচুৱাৰ সাত মাহ বা ন মাহত ভাত মুখত দিয়া অৰ্থাৎ অন্নপ্ৰাসন অনুষ্ঠান পালন কৰা হয়। দিন-বাৰ চাই মাছ-মঙহেৰে সৈতে প্ৰতিবেশী আৰু গাঁৱৰ দুই-এঘৰক মাতি এই অনুষ্ঠান পালন কৰে। আঢ্যৱন্ত হিন্দু চুতীয়াসকলে হোম-যজ্ঞৰে গাঁৱৰ গোটেই ৰাইজক মাতি ভোজ-ভাত খুৱায়। কেঁচুৱাৰ মুখত প্ৰথম অন্ন দিয়ে কেঁচুৱাৰ মোমায়েকে। এই উপলক্ষে মোমায়েকে ভাগিনীয়েকক কাঁহৰ কাঁহী-বাতি এযোৰ আৰু নতুন বস্ত্ৰ দিয়াৰ নিয়ম। কেঁচুৱাৰ এবছৰ পূৰ্ণ হ'লে আকৌ বছৰ পূৰ্তি সকাম পাতি গাঁৱৰ লোকসকলক জা-জলপানেৰে আপ্যায়িত কৰা হয়। প্ৰতি বছৰে জন্মদিন পতাৰ পৰম্পৰা আজি কিছুদিনৰ

পৰাহে চলন্তি হৈছে। পাঁচ বছৰ পূৰ হ'লে পঢ়াশালিলৈ যোৱাৰ আগতে বিদ্যাৰ আৰম্ভ বুলি এটা অনুষ্টুপীয়া অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত সৰু সৰু ল'ৰা-ছোৱালীয়ে প্ৰাধান্য পায়। পায়স আৰু মাহ-প্ৰসাদেৰে এই সকাম অনুষ্ঠিত কৰা হয়।

## মৃতকৰ সৎকাৰ কৰাৰ নিয়ম আৰু কাজ-কৰ্ম

চুতীয়াসকল হিন্দু ধৰ্মী, গতিকে অন্যান্য হিন্দুসকলৰ দৰে চুতীয়াসকলেও শৱ দাহ কৰে। অৱশ্যে সকলো চুতীয়াই ব্ৰাহ্মণ লগাই বৈদিক নিয়মেৰে মৃতকৰ সৎকাৰ নকৰে। তলত পৰম্পৰাগত ভাৱে চুতীয়াসকলৰ মাজত মৃতকৰ সৎকাৰৰ যি নিয়ম-নীতি চলি আহিছে তাৰে এটা বিৱৰণ দাঙি ধৰা হ'ল।

মানুহ মৰিলে চুতীয়াসকলে খৰি দিয়ে। কিন্তু যোল্ল সোঁতৰ বছৰমানৰ তলৰ ল'ৰা ছোৱালী মৰিলে পুতি থয়। এই বয়সৰ ল'ৰা ছোৱালীৰ গাত চুৱা নাই বুলি চুতীয়াসকলে বিশ্বাস কৰে। হাইজা বা মহামাৰীত মৰা, আকস্মিক দুৰ্ঘটনা হৈ মৰা, চিপ লৈ বা আপোনঘাটি হৈ মৰা আৰু গৰ্ভাৱতী তিৰোতা মৰিলেও পুতি থয়। তেওঁলোকৰ হৈ দহা কৰ্মও নকৰে।

মৃত্যুৰ পিছত পৰ দিয়াসকলে শৱ চোতাললৈ উলিয়াই আনে। লগে লগে ওচৰ চুবুৰীয়াক মৃত্যুৰ খবৰ দিয়ে। সকলো অহাৰ পিছত চোতালৰ মূৰত বা পদুলীৰ কাষত চামৰ পীৰা এখন পাৰি তাতে শৱটো বহুৱাই মাহ হালধি সানি গা ধুওৱা হয়। কাপোৰ সলাই নতুন কাপোৰ পিন্ধাই শৱ দাঙি আনি সজাই থোৱা চাঙিত উত্তৰ-পূব মূৱাকৈ শুৱাই দিয়া হয়। সলোৱা কাপোৰখিনি গা ধুওৱা ঠাইতে গাঁত খান্দি পুতি থয়। মৃতকৰ পো-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী, ভতিজা আদি উপস্থিত থকা লোক আৰু মৃতকতকৈ বয়সত সৰু সম্পৰ্কীয়সকলৰ প্ৰত্যেকেই তামোল এখন দি সেৱা লয়। মৃতকৰ ওচৰত কোনোবাই অজানিতে যদি দোষ দায় কৰিছিল আৰু মৃতকেও যদি কাৰোবাৰ ওচৰত দোষ দায় লগাইছিল এই সকলোবোৰ এৰা-এৰি কৰি মৃতকৰ আত্মাই স্বৰ্গত সুখ শান্তিৰে বাস কৰিবলৈ আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত মৃতকৰ পুতেকহঁতৰ উপৰিও নাতি আৰু ভতিজাহঁতে মৃতকৰ চাঙিত ভৰি দুখন আগফালে কৰি খৰি দিয়া স্থানলৈ কান্ধত তুলি নি যথাস্থানত থয়। যিজনে মুখাগ্নি কৰিব তেওঁ জোৰ একুৰা, এজনে নালটো পিছফাল কৰি কোৰ এখন, আন এজনে খৰাহি এটাত তামোল-পাণ, এঁৰা সূতা, আম পাত, পইচা কেইটামান, ঘিঁউ আদি লৈ চাঙিৰ আগে আগে যায়। চুতীয়াসকলে যাৰ দিন তাৰ ৰাতি ধৰি মৃতকৰ মৰা দিন হিচাপ কৰে। মৰা-শ কেতিয়াও বাহী হ'বলৈ নিদিয়ে।

তামোল-পাণ এটাৰে সৈতে পইচা দি মুখাগ্নি কৰোঁতাজনে প্ৰণাম জনাই খৰি দিবলৈ লোৱা ঠাইকণ কিনি লয়। সেই ঠাইতে উত্তৰ-পূব মূৱাকৈ চাৰি ফুটমান দীঘল



দুফুটমান বহলকৈ কেঁচা বাঁহৰ দুযোৰা খুটা পোতে। খুটাকেইটাৰ ওপৰ ফালৰ মূৰ কেইটাত গাঠি নাথাকে। সেই খুটা কেইটাৰ ওপৰফালৰ ফোপোলা পাব কেইটাৰ প্ৰতিটোতে পইচা এটা আৰু তামোল-পাণ একোটাকৈ ভৰাই দি তাতে আম ঠালি গুজি দিয়ে। উত্তৰ-পূব ফালে থকা খুটা দুটাত লগাই পথালিকৈ তিনিফুটমান ডাঙৰ গড় এটুকুৰা আৰু ঠিক তেনেকৈয়ে পশ্চিম দক্ষিণ মূৱা হৈ থকা খুটা যোৰতো গড় এডোখৰ দিয়ে। এই গড় দুডালৰ ওপৰত সাতজাপ খৰি জাপি ইয়াৰ চাৰিওফালে শৱ লৈ সাত পাক প্ৰদক্ষিণ কৰাই চিতাত উত্তৰ-পূব মূৱাকৈ শুৱাই দি তাৰ ওপৰত আৰু সাত জাপ খৰি জাপি লৈ চাৰিওটা খুটা এৰা সূঁতাৰে মেৰিয়াই দিয়ে। বৰপুত্ৰ বা একেবাৰে সৰু পুত্ৰই জোৰ লৈ সাত পাক ঘূৰি মুখাগ্নি কৰে (মুখাগ্নি কৰাজনেই মৃতকৰ কৰ্মখিনি কৰে)। ইয়াৰ পিছত গাঁৱৰ প্ৰত্যেক মানুহেই নিজৰ ঘৰৰ নামত বাওঁ হাতেৰে একোডালকৈ কেঁচা খৰি চিতাত তুলি দিয়ে। মৃত মানুহজন খৰি দি সম্পূৰ্ণ চাই ভষ্ম হোৱাৰ পিছত গাঁত এটা খান্দি চাই-ভষ্মখিনি পুতি তাৰ ওপৰত মাটি দি মৰিশালি বান্ধে। মৰিশালীৰ ওপৰত এটা ফুটা মাটি কলহ, কটাৰী বা কাচি এখন আৰু খৰাহি এটা থয়। মৰিশালিৰ কাষতে ভীম কলৰ পুলি এটা ৰোৱে। কোৰখনৰ নালটো খুলি তাতে থৈ কোৰখন লৈ আহে। ইয়াৰ পিছত মৰিশালিত মৃতকতকৈ সৰুসকলে সেৱা এটা কৰে। এই বিলাক কৰ্ম কৰি শেষ কৰাৰ পিছত যোৱা বাটেৰেই গৃহস্থৰ ঘৰলৈ খৰি দিয়া মানুহবোৰ ঘূৰি আহে। গৃহস্থই সকলোকে তিনিদিনৰ দিনা তিলনিলৈ আহিবলৈ মিনতি জনায়। গৃহস্থৰ ঘৰৰপৰা খৰি দিয়াসকল ঘৰাঘৰি গৈ বাহিৰে বাহিৰে গা ধুই নিজ নিজ ঘৰৰ পদুলিত যতনাই থোৱা শিল এটা দি ধানখেৰৰ জুইত ভৰি দুখনৰ তলুৱা সেকি লৈ কাপোৰ সলাই ঘৰত প্ৰৱেশ কৰে।

তিনিদিনৰ দিনা গোবৰ মাটিৰে ঘৰ-দুৱাৰ মচি-কাচি কাপোৰ-কানি, ঢাৰি, কঁঠ তিয়াই বুৰাই ৰাইজ আহি চোতালত তিলনি পাতিবৰ কাৰণে গৃহস্থই সুবিধা কৰি থয়। যিবিলাকৰ গাত মৃতকৰ চুৱা নাই তেওঁলোকে কেঁচা পিঠাগুৰি, গুৰ, কেঁচা এৰা গাখীৰ, কল, কুঁহিয়াৰ আদি ভাগে ভাগে আনি মৃতকৰ চোতালত নীতি-নিয়মেৰে তিলনি পাতি গৃহস্থক খাবলৈ দিয়ে আৰু ৰাইজেও খায়। চুতীয়াসকলৰ তিলনিত নৈবেদ্য, ভীমকল অপৰিহাৰ্য।

মানুহ মৰা দিনৰপৰা গণনা কৰি দহদিনৰ দিনা দহাকৰ্ম কৰে। সেইদিনাও গৃহস্থই ঘৰ-দুৱাৰ মচি-কাচি, কাপোৰ-কানি তিয়াই-বুৰাই, ঘৰ-পদূলি চাফ চিকুন কৰি ৰাইজে আহি চোতালত দহাকাজ কৰ্ম কৰিবৰ কাৰণে সুবিধা কৰি দিয়ে। পুৱা সময়মতে মৃতকৰ চুৱা নলগা, গাঁৱৰ বুঢ়া-মেথা আহি কল কুঁহিয়াৰ কাটি শৰাই সজাবলৈ আয়োজন কৰে। গাঁৱৰ চুৱা নলগা জীয়ৰী-বোৱাৰী আৰু ডেকাহঁতেও ৰাইজক জলপান, চাহ-তামোল আদি দিবলৈ ভাগে ভাগে যতনাই ৰাখে।

বুঢ়া-মেথা সকলোৱে চোতালত নিজ নিজ আসন গ্ৰহণ কৰাৰ পিছত দেউৰীয়ে তেওঁলোকৰ প্ৰত্যেকৰে মুখৰ আগত ৰাইজে অনা কোমল চাউল, চিৰা, আখৈ, গাখীৰ, গুড় আদিৰে পাত সজাই ওপৰত আকৌ একোখন পাতেৰে আৱৰণ দি আগবঢ়ায়। ইয়াৰ আগতে মৃতকৰ নামত এখন পাত আগবঢ়াই লোৱা হয়। বুঢ়া-মেথাসকলে গৃহস্থৰ হৈ কুশল কামনা কৰি আৰু মৃতকৰ সদ্‌গতিৰ প্ৰাৰ্থনা কৰি আশীৰ্বাদ দি জলপান খায়। বুঢ়া-মেথাসকলে জলপান খোৱাৰ পিছতহে ঘৰখনৰ মানুহ আৰু দহালৈ অহা মানুহে জলপান খাব পাৰে।

ইয়াৰ পিছত অঞ্চল বিশেষে আৰু নিজ নিজ খেলৰ ৰীতি মতে আৰু সুবিধা অনুসৰি কোনোবাই এঘাৰ দিনত, কোনোবাই তেৰ দিনত, কোনোবাই মাহটোৰ মূৰত মৃতকৰ সবাহ বা শ্ৰাদ্ধ (মৃতকৰ শেষ কৰ্ম) পাতি মৃতকৰ চুৰা খেদে। মৃতকৰ দহাত কৰা কৰ্মখিনি কৰাৰ ওপৰিও মৃতকৰ সবাহত গায়ন গোৱাৰ পিছতহে দিনৰ নাম সামৰে।

মৃতকৰ সবাহৰ দিনা সন্ধ্যা নাম সামৰাৰ পিছত ৰাতিলৈ গৃহস্থই মোৱা মাছেৰে মৃতকৰ পাত পাৰি মৃতকক দি মাছ ভাত খায়। ৰাতি ভকত আহি মাহ-প্ৰসাদৰ শৰাই সজাই লৈ **কীৰ্ত্তন** এক অধ্যায় পঢ়াৰ পিছতহে ভোজ ৰান্ধিবলৈ আজ্ঞা দিয়ে। সেইদিনা ভোজত দিবলৈ লোৱা জীৱবিলাক মাৰিবৰ কাৰণে ভিতৰত শলিতা জলাই আগলি কলপাত এযোৰত তামোল তিনিখন, পইচা এটা দি তাতে সাজ এবাতি আৰু সাজৰ লগত ভকতে খাবলৈ অলপ তৰকাৰি দি পাতযোৰ আগবঢ়াই দিয়ে। জীৱবিলাক মাৰিবৰ কাৰণে জীৱ মাৰোতাসকলে জীৱক পানী খুৱাই লৈ গাটো পানীৰে অলপকৈ ধোৱাই লয়। আশীৰ্বাদ দিয়া ভকতে আশীৰ্বাদ দিয়ে আৰু জীৱবিলাক মুচৰি মাৰে। জীৱ মৰা আশীৰ্বাদ দীঘল কাৰণে আশীৰ্বাদ দি শেষ হোৱাৰ লগে লগে জীৱ বিলাকো মৰে। ইয়াত লক্ষ্য কৰিবলগা কথা এই যে, জীৱ মৰা অনুষ্ঠানলৈ কীৰ্ত্তন পাঠ কৰা ভকতকেইজন নাহে আৰু সাজো নাখায়। ভোজৰ দেউৰীয়ে ভোজ ৰান্ধি সম্পূৰ্ণ কৰি নামৰ পাঠেকক জনায়। পাঠেকে নাম সামৰি গৃহস্থক নামৰ সেৱা লবলৈ আদেশ দিয়ে। দহাৰ দৰেই সকলো আহি ৰাইজৰ ওচৰত সেৱা লয় আৰু আশীৰ্বাদ দিয়াই আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত সবাহৰ সকলো ৰাইজে ভোজ ভাত খাই ৰাতিয়েই মৰা সকাম শেষ কৰে। চুতীয়াৰ কিছু লোকে মৃতকৰ সবাহৰ দিনা ৰাতিলৈ গোটেই ৰাতি নাম পাতি পিছ দিনা মাছেৰে নামৰ ভোজ খায়। তাৰ পিছৰ দিনাৰ পৰা মৃতকৰ ঘৰলৈ সকলো আহি গৈ আৰু মৃতকৰ ঘৰৰ মানুহো আনৰ ঘৰলৈ গৈ খোৱা-বোৱা কৰিব পাৰে।

চুতীয়া সমাজত চলি অহা পৰম্পৰা মতে মানুহ মৰিলে সৰু ল'ৰা-ছোৱালীৰ বাহিৰে ডাঙৰে ঠাণ্ডা পানীৰ বাহিৰে অন্য একো নাখায়। ৰাইজ আহি তিনিদিনত তিলনি পাতি ব্ৰতত থকাসকলক কেঁচা পিঠাগুৰি খুৱাই তিনিদিনীয়া ব্ৰত ভাঙে। তিনিদিনৰ পৰা মৰা সকাম নোযোৱালৈকে আৰৈ চাউলৰ ভাত আৰু শাক পাছলি ৰান্ধি বেলি পৰাৰ আগে আগে টৌখুটি মাৰি এসাজ ভাত খাব পাৰে। গাঁৱলীয়া কৃষিজীৱী চুতীয়াসকলে মৰা সবাহ নোযোৱালৈকে ওখ আসনত নবহে। দাড়ি চুলি নাকাটে, তেল ব্যৱহাৰ নকৰে। ব্ৰতত থকাৰ কাৰণে টান কামো নকৰে। মৃতকৰ শেষ কৰ্ম ভাগ কৰাৰ আগতে মূৰ খুৰাই দাড়ি চুলি কটাটো নিয়ম। মৰা চুৰা লাগিলে বাৰীৰ পাণ তামোল নিচিঙেও, নাপাৰেও। ঘৰত বনা খুন্দা নকৰে। ভঁৰালৰ ধান নুলিয়ায়। চুৰা নোযোৱালৈকে জীৱ বধ নকৰে। (ইয়াত হিন্দু ধৰ্মৰ বামুণ লগাই কৰা কৰ্মখিনি অন্তৰ্ভুক্ত কৰা হোৱা নাই।)



## চুতীয়াসকলৰ বিবাহ অনুষ্ঠান

প্ৰতিখন সমাজতে বিবাহ এটা অপৰিহাৰ্য আৰু আনন্দ-উলাহৰ অনুষ্ঠান। এই অনুষ্ঠানে পাৰিবাৰিক আৰু সামাজিক বান্ধোন দুয়োটাই কট্‌কটিয়া কৰে। ইয়াৰ লগত যিবোৰ নীতি-নিয়ম চলন্তি হৈ থাকে সেইবোৰে সেই সমাজখনৰ সংস্কৃতি প্ৰতিফলিত কৰে। বিবাহৰ প্ৰতিটো উপলক্ষত কিছুমান গীত পৰিবেশন কৰা হয়। এই গীতবোৰ মূলতঃ নাৰীসকলৰ দ্বাৰা ৰচিত। এই গীতবোৰেই দৰা-কইনা আৰু পৰিয়ালৰ লোকৰ মানসিক অনুভূতি প্ৰকাশ কৰাৰ উপৰিও সমাজ ব্যৱস্থাৰো ইঙ্গিত দিয়ে। কিছুমান গীতত আনকি বুৰঞ্জীৰ সুবাসো থাকে। চুতীয়া সমাজত বৰ বিয়াৰ উপৰিও নোৱাই তোলনি বিয়া আৰু বুঢ়া বিয়াৰো প্ৰচলন আছে। তলত এই তিনিওটা বৈবাহিক অনুষ্ঠানৰ চমু বিৱৰণ দিয়া হ'ল।

**নোৱাই তোলনি বিয়া ঃ**

ছোৱালীৰ কন্যাকাল হ'লে সেই উপলক্ষে নোৱাই তোলানি বিয়া পতা হয়। ১১-১২ বছৰ মানত ভৰি দিলেই ছোৱালীৰ পিতৃ-মাতৃয়ে তাইৰ মনে মিলা সমনীয়া ছোৱালীৰ লগত সখি পাতিবলৈ ঠিক কৰে আৰু সেই অনুসৰি ইঘৰে-সিঘৰক ভাত খাবলৈ নিমন্ত্ৰণ কৰে। ছোৱালীৰ কন্যাকাল হোৱাৰ গড় বয়স বাৰ বছৰ। অৱশ্যে, কিছুমান ছোৱালী কেতিয়াবা ১৫/১৬ বছৰ বয়সলৈকে তোলনি নোহোৱাকৈ থাকে। তেনে ছোৱালীক চুতীয়া সমাজত 'বখাই' বিয়া হোৱা বুলি কোৱা হয়।

পাটগাভৰু ছোৱালীজনী পুষ্পিতা হোৱাৰ লগে লগে সময়টো চাই লৈ মাকে ওচৰৰ আই বাই কেইগৰাকীমানক মাতি পঠায়। ছোৱালীজনীয়ে সেই সময়ৰ পৰা চাৰিদিনীয়া গা-নোধুৱালৈকে চন্দ্ৰ, সূৰ্য, গৰু-গাইকে ধৰি পুৰুষ মানুহ দেখিব নেপায় বুলি কয়। সেই কাৰণে মাকে লৰা-লৰিকৈ আছুতীয়া কোঠা এটাত ছোৱালীজনী সুমুৱাই ধানখেৰৰ শেতেলি যোগাৰ কৰে। খবৰ দিয়া আই বাই কেইগৰাকী আহি আনুষ্ঠানিকভাৱে ছোৱালীজনীক ভিতৰত সুমুৱাই থোৱাৰ ব্যৱস্থা কৰে। প্ৰথমেই আই বাই কেইগৰাকীয়ে

এটা দুনৰীত পৰলিয়া চাউল ভৰ্তি কৰি তাৰ ওপৰত বিজোখীয়া কেঁচা জাতি বা চেনিকল এক আষি, পাণ দুখন, তামোল দুটা দি মাটি চাকি এগছ জ্বলাই লয়। এটা কাঁহৰ লোটাত/ কলহত মুখলৈকে পানী ভৰাই ডিঙিত এঁৰা সুঁতা এনেচা মেৰিয়াই নিঘুনী পাঁচ বা সাত খিলা পাত থকা আম গছৰ আগ ঠাল এটা লোটাটোৰ/ কলহটোৰ মুখত গুজি দি লৈ দুনৰি আৰু লোটাটো/ কলহটো ছোৱালীজনীৰ শিতানৰ মূৰত থয়। (আম ঠালি গুজি এঁৰা সূতাৰে ডিঙিত মেৰিয়াই সেন্দুৰৰ ফোট দি সজোৱা লোটাটো/ কলহটোক 'কলচি' বোলে। ইয়াৰ পিছত খেৰ পাৰি ছোৱালীজনীৰ কাৰণে কোঠালিৰ চুক এটাত শেতেলি ঠিক কৰি দিয়ে। শেতেলিৰ তলতে এখন কাচি বা কটাৰী থয়। এইখিনি কৰাৰ পিছত এযোৰ নতুন মেখেলাচাদৰ পিন্ধিবলৈ দি এটা ৰূপৰ তামোল আৰু এখন চুৰি কটাৰী লৈ থাকিবলৈ দিয়া হয়। ছোৱালীজনীৰ চুলিকোছা উভোতাই ধৰি থাকিবলৈ দি মূৰত অকণমান মিঠাতেল ঢালি দিয়ে। লগে লগে আই বাইসকলে তিনিবাৰ মঙ্গল উৰুলি দি ছোৱালীজনী আনুষ্ঠানিকভাৱে ভিতৰত সোমোৱাৰ পৰ্ব সমাপ্ত কৰে।

চাৰিদিনীয়া গা ধোৱা দিনালৈকে এনে ছোৱালীক 'চুকৰ কন্যা' বুলি কোৱা হয়। দুনৰি, কলচি আৰু চাকিগছ সেইদিনালৈকে ছোৱালীজনীৰ শিতানৰ মূৰত থোৱা হয়। সেই কেইদিনৰ ভিতৰতে ছোৱালীৰ বাপেকে দৈৱজ্ঞৰ ওচৰত গ্ৰহ দোষ চোৱা-চিতা কৰে। গ্ৰহ দোষ নাথাকিলে সাত দিনৰ দিনা তোলনি বিয়া পাতে। গ্ৰহ দোষ থাকিলে দৈৱজ্ঞই তিনি দিনৰপৰা একৈশ দিন পৰ্যন্ত ব্ৰতত থকাৰ আজ্ঞা দিয়ে আৰু ব্ৰতৰ শেষতহে তোলনি বিয়া পাতে। দান-দক্ষিণাৰ আজ্ঞা দিলে সেই কামফেৰাও দৈৱজ্ঞৰ আজ্ঞা মতে কৰে। অন্যথা কন্যাকালৰ দোষ থাকি গ'লে পৰৱৰ্তী জীৱনত ছোৱালীজনীৰ অপায়-অমঙ্গল হয় বুলি কয়।

ব্ৰতৰ সময়ত কল, নাৰিকল, মণ্ড, বুট, খেজুৰি, অমিতা, মধুৰি আদি ফল-মূল আৰু কেঁচা এঁৰা গাখীৰ দিনটোত তিনিবাৰ আগলি কলপাতত সজাই 'চুকৰ কন্যাক' খাবলৈ দিয়া হয়।

চাৰিদিনৰ দিনা ৰাতিপুৱাই 'চুকৰ কন্যা'ক শোৱা শেতেলিৰ পৰা আঁতৰাই কাপোৰ-কানি তিয়াই ঘৰ-দুৱাৰ মচি গা ধোৱাবৰ বাবে যোগাৰ কৰা হয়। চাৰিদিনীয়া গা ধোৱাবলৈ চোতালৰ মূৰত দীঘল তিনিডাল পাতি দৈ/ইকৰা/কুঁহিয়াৰ তিনিফালে মাটিত পুতি ওপৰৰ আগকেইটা একে লগ কৰি বান্ধি দিয়া হয়। এই পাতিদৈ কেইডালৰ মাজত এখন ভীমকলৰ আগলি কলপাত পূব মুৱাকৈ 'চুকৰ কন্যা' বহিবৰ কাৰণে পাৰি দিয়া হয়। ভৰি থবলৈ এখন আগলি কলপাতত ধান খেৰৰ মুঠি দুটা আৰু তাৰ মাজতে শিলগুটি এটা থোৱা হয়। মাটিমাহ আৰু হালধি খুন্দি তাতে মিঠাতেল অলপ অলপ দি আন এখন আগলি কলপাতত ওচৰতে থয়। পাতকেইখনৰ আগকেইটা পূব মুৱাকৈ থোৱা হয়। ওচৰতে কেইকলহমান পানী আৰু এটা লোটা থোৱা হয়। এইখিনি কৰি



লোৱাৰ পিছত 'চুকৰ কন্যা'ক মূৰে গায়ে চেলেং কাপোৰ এখনেৰে ঢাকি মাকে কাপোৰৰ আঁচলত ধৰি কাষত কলচি লৈ আগ দুৱাৰেদি উলিয়াই আনে। আগে আগে এজনী এঁৰা ছোৱালীয়ে দুনৰিটো লৈ যায়। পিছে পিছে এজনীয়ে 'চুকৰ কন্যা'ক আৰু ওলাই যোৱা বাটটো পানী চটিয়াই যায়। আই বাইসকলে তিনিবাৰ উৰুলি দিয়ে। এইদৰে গা ধোৱাবলৈ পুতি থোৱা পাতিদৈ তিনিডালৰ চাৰিওফালে তিনিপাক ঘূৰি পূবফালে মুখ কৰি পাতিদৈ তিনিডালৰ মাজত থকা কলপাতখনত বহুৱাই আনখন কলপাতৰ খেৰৰ মুঠি দুটাৰ ওপৰত ভৰিদুখন তুলি দি মাক ওলাই আহে। দুনৰি আৰু কলচি 'চুকৰ কন্যা'ৰ সন্মুখত থোৱা হয়। এইখিনিতে আই বাইসকলে উৰুলি দিয়ে আৰু গায় 'ৰাম কৃষ্ণ বেইতে ঘূৰিয়ে, ৰাম কৃষ্ণ কিমান দুখে পালা, হৰি মোৰ ঐ পাত পাই মেলিলা ভৰি'। তাৰ পিছত মাকে 'চুকৰ কন্যা'ৰ চুলিৰ আগটো উভোতাই মূৰত ধৰি তাৰ ওপৰত কন্যাৰ হাতৰ তামোলটো থিয় কৰি তাৰ ওপৰত নিজৰ আঙুলিটো দি গোটেই চুলিখিনিতে তেল সানি ফনি এখনেৰে চুলিখিনি ফনিয়াই দিয়ে। আয়তীসকলে তিনিবাৰ উৰুলি দিয়ে। তাৰ পিছত মাকে দুয়ো হাতত খুন্দা মাহ-হালধি লৈ কন্যাৰ দুয়োখন গালত আৰু কপালত তলৰ পৰা ওপৰলৈ তিনি চোচাকৈ মাৰে। আই বাইসকলে উৰুলি দিয়ে। মাহ হালধি গোটেই গা, ভৰি আৰু হাতত সানি দিয়ে। আয়তীসকলে গায় - 'ৰাম কৃষ্ণ তললৈ হালধি, ৰাম কৃষ্ণ নমাব নিদিয়ে, হৰি মোৰ ঐ, মাকৰ মান হেৰায় বুলি'। ইয়াৰ পিছতে ভীমকলৰ শুকান বাকলি পুৰি যোগাৰ কৰি থোৱা কল খাৰেৰে মূৰ ধুৱায়। গা ধুৱাবলৈ সোণ ৰূপ আদি দি আগদিনাই যোগাৰ কৰি থোৱা পানী কলহ প্ৰথমে মূৰত ঢালি হিচাবৰ তিনিকলহ পানী ঢালি গা ধুওৱা হয়। প্ৰতি কলহ পানী ঢালোতে উৰুলি দিয়ে। আয়তীসকলে গায় - 'শান্তি হ'লা যেতিয়া চাদৰ ল'বা এতিয়া, আগৰ দৰে 'চুকৰ কন্যা' নুফুৰিবা এতিয়া' ইত্যাদি বুজনি দি জাউৰিয়ে জাউৰিয়ে উৰুলি দি দি বিয়া নাম গায়। গা ধোৱাই হোৱাৰ পিছত এজনীয়ে নতুন গামোছা এখনেৰে মূৰ টুকি দিয়ে আৰু মুগাৰ মেখেলা আৰু ফুল লগা চাদৰ পিন্ধিবলৈ দিয়ে। ইয়াৰ পিছতে তামোল এখন দি সূৰ্যলৈ চাই সেৱা কৰি লগা কল বা তামোল এঠুকিলৈ চাই তামোলখন দলিয়াই দিবলৈ কয়। তাৰ পিছতে তিনিদিশে তিনিখন তামোল দি সেৱা কৰে। লগে লগে আই বাইসকলে গায়- 'গা ধুই আইদেউৱে লগন বিৰিখলে চোৱাহে/ ঐ ৰাম সময়ত পুত্ৰদান পাবাহে ...।' এই কাম শেষ হ'লে মাকে কলচিৰ মুখৰ আমঠালি লৈ আগটো পানীত তিয়াই এবাৰ ছোৱালীৰ মূখলৈ এবাৰ নিজৰ মুখলৈ এইদৰে তিনিবাৰ কৰি 'চুকৰ কন্যা'ক আমসাৰ দিয়ে। ইয়াৰ পিছত দুনৰিটো মুখৰ আগত তিনিবাৰ ঘূৰাই জুইসাৰ দি কন্যাক চোতাললৈ দাঙি নি ধানখেৰৰ ডাঙৰ মুঠা এটাত বহুৱাই দিয়ে। লগতে তিনিজনী ছোৱালীকো ফোঁট দিয়ে। এই সময়তে কন্যাজনীৰ মূৰ ফনিয়াওঁতে চিগা চুলি কেইডাল একেটা ঠালিতে লাগি থকা তিনিটা ডিমৰু/ তামোল, এটা সোণৰ মণি, এটা পোৱাল মণি, এটা ৰূপৰ মণি, পইচা এটকা

চাৰি অনা আৰু এযোৰ তামোল পাণ; এই আটাইকেইটা বস্তু এখন নতুন গামোছাত বান্ধি এটা ঘূৰণীয়া টোপোলা কৰে। ইয়াকে 'কনাই' বোলে। কনাইটো দুনৰিতে থৈ দিয়ে। যি গৰাকীয়ে কনাই বান্ধিব তেৱেঁই বিয়াৰ দিনা খুলিব লাগে। কনাই বান্ধি থোৱাৰ পিছত কেঁচা পিঠাগুৰি এবাতি, কল, কেঁচা গাখীৰ, গুৰ আদিৰে ছোৱালীৰ মুখৰ আগত সজাই দিয়া হয়। ইয়াৰ পিছত ছোৱালীজনীয়ে সেৱা লয় আৰু আয়তীসকলে আশীৰ্বাদ দিয়ে। ছোৱালীজনীক খাবলৈ দিয়া বস্তুখিনি ভিতৰলৈ নি এঁৱা ছোৱালী তিনিজনীৰ সৈতে একেলগে খাবলৈ দিয়ে। আয়তীসকলক কেঁচা বস্তুৰে আপ্যায়িত কৰা হয়। ইমানতে চাৰিদিনীয়া গা ধোৱা পৰ্ব অন্ত পৰে। মাকে নুৱাই বাবে সেইদিনা তেওঁৰ ভাত লঘোন হয়। সেই দিনাই আবেলিলৈ পৰিয়াল থকা (মাক, পিতাক, ল'ৰা-ছোৱালী সম্পূৰ্ণ থকা) তিনিঘৰ মানুহক বিয়ালৈ নিমন্ত্ৰণ কৰি থব লাগে।

**বৰতত থকা নিয়ম ঃ** কন্যাকাল হোৱা ছোৱালীৰ বৰত থাকিলে বেলি পৰাৰ আগতেই হাতেৰে তিনিমুঠি আৰৈ চাউল লৈ তেল, হালধি, মা-মছলা নিদিয়াকৈ বিভিন্ন পাছলিৰে টৌখুটি মাৰি নিৰামিষ এসাজ ভাত দিনটোত খাব পাৰে। কোনোবা মৃত্যু হ'লেও জানিবলৈ দিয়া নহয়। জানিলে ভাত লঘোন হয়। বৰতত থকা কেইদিন পুৰুষে দেখিব নেপাই কাৰণে ভিতৰতে ৰাখে। ব্ৰত নেথাকিলে এই একে নিয়মেৰে চাৰিদিনীয়া গা ধুওৱাৰ পৰা তোলনি বিয়া অনুষ্ঠিত হোৱা দিনালৈকে 'চুকৰ কন্যা'ই দিনটোত এসাজ ভাত খাব পাৰে।

**সখিক নিমন্ত্ৰণ ঃ** চাৰিদিনীয়া গা-ধুওৱাৰ পিছতে মাকে লগৰ দুগৰাকীমানৰ সৈতে দালি খৰাহীত বন্ধা তামোল পাণ লৈ বিয়াৰ দিনা সোনকালে আহিবলৈ সখিক তামোল পান দি মাতি থৈ আহেগৈ।

**আখৈ ভজাৰ নিয়ম ঃ** বিয়াৰ আগদিনা আখৈ ভাজিবৰ কাৰণে সম্পূৰ্ণ মানুহ দুগৰাকী মতা হয়। আখৈ ভজাৰ আগতে অৰিহণাসহ এটা গুৱা পান দি আখৈ ভজা কেইগৰাকীকক আৰু অগ্নি দেৱতাক গৃহস্থই প্ৰণাম জনায়। সেই ঠাইতে এগৰাকীয়ে কন্যাৰ মাক আৰু আন এগৰাকীয়ে দৰাৰ মাক হৈ আখৈ খোলা পাতি আখৈ ভাজে। আখৈ ফুটা নুফুটা চাই কন্যা দৰাৰ ভাগ্য কি হ'ব আখৈ খোলাত থকা আয়তীসকলে আলোচনা কৰে। এখৰাহী দৰাৰ কাৰণে আৰু এখৰাহী কন্যাৰ কাৰণে আৰু বিয়াত ছোৱালী নোৱাওতে কল পুলিটোৰ গুৰিত দিবলৈ দোদুন আখৈ ভাজি প্ৰথমে থৈ দিয়ে। বাকী আখৈ অলপ ভাজি লৈ বৰা চাউলৰ কড়াই গুৰিৰ লগত গাখীৰ-গুৰ সানি এটা লাডু কৰে। আখৈ ভাজি হোৱাৰ পিছত চাকি শলিতা জ্বলাই এযোৰ আগলি কলপাতত অৰিহণা আৰু তামোল তিনিখনেৰে সৈতে লাডুটো আৰু পকাভগীয়া বিলাকে সাজ এবাটি দি ওপৰত আৱৰণ দি মৃতকলৈ আগবঢ়াই দিয়ে। ইয়াতে আখৈ ভজা কাম শেষ হয়।

বিয়াৰ দিনা পুৱা দৈৱজ্ঞই যি বিধান দিছিল সেইমতে দান-দক্ষিণা দি আজৰি হৈ



বিয়াৰ কাম সকলোৱে ভাগে ভাগে কৰিবলৈ লয়।

**বিয়াৰ বেই সজা নিয়ম ঃ** বিয়াৰ দিনা পুৱাই বেই সজা হয়। বেই সাজিবলৈ বিবাহিত আৰু মাক বাপেক থকা সম্পূৰ্ণ মানুহ এজন বা দুজন আগদিনাই তামোল-পান দি মাতি থয়। টিপ তুলি বেই সাজে। তামোল-পাণ এযোৰ, হাঁহৰ কণী এটা, পইচা এটা, আৰৈ চাউল - এই বস্তুখিনি দোন এটাত ভৰাই সাফৰ মাৰি লৈ বেইৰ তলত কাঁচি এখনৰ সৈতে পোতা হয়। বেই একেটা বাঁহেৰে সজা হয়। বেইৰ খুটা চাৰিটা কাটি লৈ বাঁহটোৰ বাকী দোখৰ গুৰি ফালৰ পৰা এচোৰা চাৰিফাল কৰি বাকী দোখৰ আগলৈকে ফুলকাটি আগটোত ভীমকলৰ ডিল এটা ওপৰলৈ মুখ কৰি গুজি দি তাৰ লগতে ধেনু-কাঁড় বান্ধি দিয়ে। বেইৰ টিপৰ চাৰি চুকত কাটি থোৱা খুটা চাৰিটা পুতি লৈ খুটাৰ ওপৰৰ ফালৰ পাব কেইটাত ইতিমধ্যে ফালি থোৱা বাঁহ চাৰিফালৰ এফালকৈ প্ৰতিটো খুটাৰ ওপৰ ফালৰ পাবটোত ভৰাই দি বাঁহৰ আগটো ওপৰলৈ থিয় কৰি দি খুটা কেইটাৰ মাজৰ টিপটোত কলপতোৱাৰে সজা ঢাৰি এখন পাৰি দি তাৰ ওপৰত চাম কাঠৰ পীৰা এখন থয়। পীৰাখনৰ আগত আগলি কলপাত এখন পূবমূৱাকৈ কন্যাই পীৰাত বহি ভৰি থবলৈ পাৰি দিয়ে। বেইৰ ওচৰতে ভীম কলৰ পুলি এটা ৰোৱে। এই পুলিটো কন্যাৰ ককায়েকৰ বৈনায়েক। বেইৰ ওপৰত থকা বাঁহকেইফাল ঢাকি চেলেং কাপোৰ এখনেৰে মেৰিয়াই দিয়ে। ইয়াৰ পিছত বেইৰ খুটাকেইটা মেৰিয়াই আমডালি দিয়ে।

**সখি অহাৰ নিয়ম ঃ** বিয়াৰ দিনা আগবেলাতে কন্যাৰ ঘৰলৈ সখি আহে। সখিৰ আগে আগে দুফালে দুটা চৈ দিয়া পাছিত ভাৰ বান্ধি পাছিৰ ভিতৰত কোমল চাউল, গুৰ আৰু চৈ পাছিৰ বাহিৰত ভাৰ মাৰিত দুফালে দুটা গাখীৰৰ টেকেলি বান্ধি চৈ ভাৰ বান্ধে। এগৰাকীয়ে কন্যাৰ কাৰণে কাপোৰৰ সাজ-পোছাক ভৰাই কাষত এটা দালি খৰাহী লয়। আৰু আন বিলাকেও ভাগে ভাগে ভাৰ লৈ আহে। ইয়াৰ পিছতে চৈ দিয়া গৰু গাড়ীত/ দোলাত সখি আহে। সখিৰ পিছতে আই বাই সকলে নাম গাই গাই আহে - 'চেনীমাই চেনীমাই - চেনীমাই ঐ/ সখিৰ ঘৰলৈ কেনি যায় ঐ/ গৈ থাক, গৈ থাক, পাবিগৈ বাট/ সখিৰ মাকে লগাব মাত ....।' এইদৰে সখি আহি বিয়াঘৰৰ নঙলা/ জপনা মুখত উপস্থিত হোৱাৰ লগে লগে কন্যাৰ মাকে আই বাইসকলৰ সৈতে দালি এখনত ধূনা আৰু চাকি এগছ জ্বলাই শৰাই এখনত তামোল পাণ লৈ আদৰি আনি সখিক কন্যাৰ ওচৰত বহুৱায়।

**পানী তোলাৰ নিয়ম ঃ** পানী তুলিবলৈ যাওঁতে লগত নিবলৈ গোটা তামোল পাণ, কটা তামোল, খৰিকা, এখন কটাৰী, এঁৱা সূতা যোগাৰ কৰি লৈ সখি আৰু কন্যাক এটা কোঠাত সুমুৱাই থৈ পানী তুলিবলৈ সাজু হয়। কন্যাৰ মাকে কলচিটো, এঁৱা ছোৱালী এগৰাকীয়ে দুনৰিটো আৰু আন এগৰাকীয়ে দালি এখনৰ ওপৰত উল্লেখ কৰা বস্তুখিনি লৈ চোতালত আয়তীসকলৰ ওচৰত সেৱা জনাই সকলো পানী তুলিবলৈ ওলাই যায়। আগে আগে দুনৰি লোৱা ছোৱালীজনী আৰু তাৰ পিছতে দৈৱকী (কন্যাৰ মাকক সেই

সময়ৰ কাৰণে দৈৰকী বুলি মাতে) কলচিটো লৈ দোলাত/খোজকাঢ়ি যায়। দৈৰকীৰ পাছতে আই বাইসকলে কন্যাৰ খোজেৰে নাম গাই গাই যায় - 'ওলাই আহা নন্দ ৰাণী বাসুদেৱক কৈ, শুভক্ষণে যাত্ৰা কৰি জল আনোঁগে ... ।'

পানী তোলা ঘাটত গৈ দৈৰকী গৰাকীয়ে পানী জুৰলীত মাটিৰে চাৰিটা টিপ কৰি টিপকেইটাত খৰিকা এডালকৈ এৰা সুতাৰে মেৰিয়াই তাৰ মাজতে অৰিহণাসহ এটা তামোল পাণ দি সেৱা জনাই জল কুঁৱৰীক জল এৰি দিবলৈ কয়। আয়তীসকলে গায় - 'জল এৰি দিয়া জল কুঁৱৰী এ, লৈ যাওঁ কলচী ভৰাই ....।' মাটিৰ টিপ কেইটা দৈৰকীগৰাকীয়ে হাতেৰে চুচি পানীলৈ পেলাই দিয়ে। কলচিত থকা পানীখিনি পেলাই দি লগত নিয়া কটাৰীখনেৰে তিনিবাৰ পুনৰ চিন দি পানী কাটি কলচিত ভৰায়। এই দৰে তিনিবাৰ পানী কাটি তিনিবাৰ অলপ অলপকৈ কলচিত পানী ভৰাই কলচি ভৰ্তি কৰে। কলচিত পানী ভৰাই থাকোতে এজনীয়ে প্ৰতিবাৰতে সুধি থাকে - "কাৰ পানী তুলিছে"। দৈৰকীয়ে প্ৰতিবাৰতে অমুকীৰ (কন্যাৰ নাম কৈ) কাৰণে পানী তুলিছো বুলি উত্তৰ দিয়ে। তাৰ পিছত দৈৰকী আৰু দুনৰি লোৱা দুগৰাকীয়ে মুখত এমুকুৰা পানী লৈ পানী তুলিবলৈ যোৱাৰ দৰেই ঘৰলৈ ঘূৰি আহে। বিয়া ঘৰৰ নঙলা/ জপনা মুখত পাটগাভৰুহঁতে পানী তুলি অহা দ'লটোক আগছে। এই খিনিতে আয়তীসকলে কিছুসময় বিহু মাৰি ৰং ৰহইচ কৰে। গৃহস্থৰ হৈ এগৰাকীয়ে মাননীসহ তামোল পাণ আগবঢ়ালে বিহু সামৰে। দুনৰি লোৱা আৰু কলচি লোৱা দুগৰাকীয়ে মুখত ভৰাই অনা পানীখিনি ঘৰৰ দুৱাৰ মুখৰ খুটাৰ গুৰিত পেলাই দিয়ে আৰু আয়তীসকলে উৰুলি দিয়ে। ভিতৰলৈ সোমাই গৈ দুনৰি আৰু কলচি কন্যা থকা কোঠাত আগতে থোৱা ঠাইত থয়। ইয়াৰ পিছতে কন্যা আৰু সখি দুয়োকে চেলেং কাপোৰ এখনেৰে মূৰে গায়ে ঢাকি কন্যাৰ মাকে কাষত কলচী লৈ আছঁলত ধৰি গা ধুৱাবলৈ বেইৰ ওচৰলৈ আনে। চাৰিদিনীয়া ধুওৱাৰ দৰে একে বস্ত্ৰে কন্যাক গা ধুৱায়। কন্যাৰ লগতে সখিও বেইত তিনিপাক ঘূৰি কন্যাৰ বাওঁফালে বেইত থোৱা তামূলী পীৰাত বহে। দুয়োজনীকে মাহ হালধিৰে নোৱাই লৈ কলচিৰ পানী দুয়োজনীকে অলপ অলপ ঢালি দিয়ে। তাৰ পিছত সখিয়েকে কন্যাক নোৱায়। পিছত কন্যাই সখিয়েকক নোৱায়। তাৰ পিছত দুয়োজনীকে দুটা লোটাত পানী ভৰাই দিয়ে। দুই সখিয়ে মুখামুখিকৈ ইজনীয়ে সিজনীক মূৰত লোটাৰে পানী ঢালে। লোটাৰ পানী একেবাৰে খালী কৰি ঢালিব নালাগে। এইদৰে তিনি লোটাকৈ পানী ইজনীয়ে সিজনীক ঢালে। লগে লগে আই বাইসকলে তিনিবাৰ উৰুলি দিয়ে আৰু নাম গাই থাকে।

গা ধুই হোৱাৰ পিছত তিতা কাপোৰেৰে সন্মুখত ৰুই থোৱা ভীমকলৰ পুলিটোক কন্যাই সোঁহাতে খুন্দা মাহ-হালধি লৈ আঠুকাঢ়ি তলৰ পৰা ওপৰলৈ দুয়োহাতেৰে তিনি চোচা মাৰি নোৱায় আৰু পানী একলহ ঢালি কলপুলিটো ধুৱায়। আই বাইসকলে লগে



লগে উৰুলি দিয়ে। কন্যাই মতা মনি এধাৰ কলপুলিটোক পিন্ধাই দিয়ে। আগদিনাই আখৈ ভাজোতে থৈ দিয়া আখৈৰ দোনটো এহাতে লয় আৰু পুৰাই পিঠা খুন্দি ভৰাই থোৱা পিঠাৰ দোনটো ইখন হাতে লৈ আঠুকাঢ়ি কলপুলিটোৰ গুৰিত দুকাষে একেলগে দোন দুটা উবুৰিয়াই দিয়ে। ইয়াৰ পিছত কন্যাই নিজৰ গাত পানী এলোটা ঢালি গা ধোৱে। আয়তী এগৰাকীয়ে জেওৰা খুটি এটা লৈ শান্তি হ'ব লগা দুজনী ছোৱালীৰ নাম কৈ উবুৰিয়াই থোৱা দোনদুটাত এটা এটাকৈ জোৰকৈ খোচ মাৰে।

**কন্যাৰ মূৰত চাউল দিয়া ঃ** দুই সখিৰ কাপোৰ সলোৱা, মূৰ টোকা আদি কামত দুগৰাকীয়ে সহায় কৰি দিয়ে। ইয়াৰ পিছত পাঁচজনী এঁৱা ছোৱালীয়ে কন্যাৰ মূৰত চাউল দিয়ে। দুনৰিৰ পৰা চাউল আনি কন্যাৰ মাকে ছোৱালীকেইজনীৰ হাতত দিয়ে আৰু নিজেও লয়। ছোৱালী কেইজনীয়ে হাতত চাউল লৈ কন্যাৰ মূৰৰ ওপৰত এখন হাতৰ ওপৰত আনখন হাত দি দ'ল এটাৰ নিচিনা কৰি ওপৰ তল কৰি থাকে। কন্যাৰ মূৰত মাকে হাতখন লগাই থাকে। লগে লগে আয়তীয়ে গাই থাকে - 'আগত দিয়া পিছত দিয়া পঞ্চ আয়তীয়ে দিয়া কি ৰাম ৰাম, পঞ্চ আয়তীয়ে দিয়া, ডুবা ঘাটৰ পানী আনি আইদেউৰ মূৰত দিয়া কি ৰাম ৰাম, আইদেউৰ মূৰত দিয়া ...।' এইদৰে গোটেই নামটো তিনিবাৰ গায় আৰু প্ৰতিবাৰতে তিনিবাৰ উৰুলি দিয়ে। ইয়াৰ পিছত সূৰ্যক সেৱা কৰি তামোল দিয়া, তিনি দিশলৈ চাই তিনিখন তামোল দিয়া, আমসাৰ, জুইসাৰ এইবিলাক চাৰিদিনীয়া ধোৱাওঁতে কৰাৰ দৰেই কৰে। এইদৰে গা ধুওৱাৰ কাম শেষ হ'লে কন্যা আৰু সখিৰ ককায়েকহঁতক মাতি আনি নিজৰ নিজৰ ভনীয়েকক দাঙি নি চোতালৰ ৰভা তলত কন্যা আৰু সখি সজাবলৈ পাৰি থোৱা কঁঠৰ ওপৰত এজনীয়ে চাউল এছাটি মাৰি দিয়াৰ পাছত বহুৱাই দিয়েগৈ।

বেইত ছোৱালী নোৱাওঁতে পৰি যোৱা মাহ-হালধি, খেৰৰ জুমুঠি, চাউল এই আটাইবোৰ বাঢ়নিৰে ততালিকে সাৰি পুছি তুলি নি পুখুৰীত পেলাই দিয়েগৈ। ছোৱালীয়ে গা ধুই সলোৱা কাপোৰ কানিবিলাক গাত লগা ঘৰৰ মানুহ এগৰাকীয়ে লগে লগে পুখুৰীত ধুই মেলি দিয়ে আৰু বেইৰ তলত হাঁহ কণী, তামোল-পান, চাউলেৰে সৈতে পোতা দোনটো আৰু কাচিখন খান্দি উলিয়াই আনি আনে নোপোৱাকৈ ঘৰৰ ভিতৰত লুকুৱাই থয়। বিয়াৰ পিছত হাঁহ কণীৰে সৈতে দোনৰ চাউলখিনি দুখীয়া সম্পূৰ্ণ মানুহ এজনক দান দিয়ে। বেইৰ ওচৰত পোতা ভীমকলৰ পুলিটো কন্যাৰ ককায়েকে খান্দি নি বাৰীৰ ঢাপত ভালকৈ ৰুই দিয়ে। লগে লগে বেইখনো ভাঙি পুখুৰীত পেলাই দিয়ে।

**কন্যা সজোৱা ঃ** কন্যা আৰু সখিক একেধৰণৰ বগা পাটৰ কাপোৰ পিন্ধোৱা হয় আৰু আন সকলো বস্তু একে ধৰণেৰে পিন্ধাই একে ধৰণেৰেই সজোৱা হয়। কলপাতত সেন্দুৰৰ তিনিডাল ৰেখা দিয়া হয়। ওপৰৰ ৰেখাডাল আৰু তলৰ ৰেখাডাল চুটি, মাজৰ ডাল দীঘল। এই ৰেখা তিনিডালৰ তলতে সেন্দুৰৰ এটা ফোট দি শিৰত সেন্দুৰ দি দুই কানত

এনে এটা জাতি নাই যাৰ অন্য জাতিৰ লগত তেজৰ সংমিশ্ৰণ হোৱা নাই। উদাহৰণস্বৰূপে, গৌৰবৰ্ণৰ ককেছয়দ বা আৰ্যসকলৰ জোঙা নাক, দীৰ্ঘ মস্তক আৰু ডাঙৰ চকু বহুতো মঙ্গোলীয় লোকৰ মাজত দেখা যায়। আনহাতে, ককেছয়দসকলৰ মাজতো কৃষ্ণবৰ্ণৰ চুটি-চাপৰ, চেপেটা নাকৰ আৰু সৰু চকুৰ মানুহ পোৱা যায়। সামাজিক পৰিবেশ, জলবায়ু, খাদ্য, সাজপাৰ, চিন্তা-চৰ্চা আদি বিভিন্ন কাৰক এই পৰিবৰ্তনৰ অন্তৰালত ক্ৰিয়াশীল হৈ থাকে। তৎস্বত্বেও যিকোনো এখন দেশৰ অধিবাসীসকলৰ নৃতাত্বিক আঁতি-গুৰি জানিবলৈ এই পুৰণি পদ্ধতিকে এতিয়াও গ্ৰহণ কৰি থকা হৈছে, কাৰণ, সবাৰে গ্ৰহণযোগ্য বিকল্প পদ্ধতি এটা আজিলৈকে উদ্ভাৱন হোৱা নাই। অথচ, প্ৰাচীন সভ্যতা আৰু সংস্কৃতি অধ্যয়ন কৰিবলৈ হ'লে নৃতাত্বিক দিশবোৰ উপেক্ষা কৰাটো সম্ভৱ নহয়। তলত ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰবেশ কৰা মানবগোষ্ঠী কেইটাৰ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

**নেগ্ৰিটোসকল ঃ** ড° জে. এইচ. হাটন (Dr. J.H. Hutton)ৰ অধ্যয়ন অনুসৰি ভাৰতবৰ্ষলৈ অহা প্ৰথম মানৱ গোষ্ঠীটো হ'ল নেগ্ৰিটো। মানুহৰ প্ৰথম উৎপত্তিস্থল আফ্ৰিকা মহাদেশৰপৰা এচাম নেগ্ৰিটো গোষ্ঠীৰ লোক ভাৰতবৰ্ষলৈ আহিছিল। অতি পুৰণি কালত অসমৰপৰা হিমালয়ৰ পাদদেশেদি ছোট্‌নাগপুৰ, উৰিষ্যা হৈ আফ্ৰিকালৈ স্থলপথেদি মানুহ যাব পাৰিছিল। সম্ভৱতঃ এই পথেদিয়েই নেগ্ৰিটোসকল ভাৰত তথা অসমলৈ আহে। অন্য এচাম নেগ্ৰিটো সম্ভৱতঃ আৰব দেশৰ মাজেৰে ইৰাণ আৰু বেলুচিস্তানৰ উপকূলভূমি পাৰ হৈ ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। তেওঁলোক আছিল প্ৰত্নপ্ৰস্তৰ যুগৰ সভ্যতাৰ লোক। গতিকে তেওঁলোক খাদ্য সংগ্ৰহকাৰীহে আছিল, খাদ্য উৎপাদন কৰিবলৈ শিকা নাছিল। তেওঁলোকৰ পিছত অহা প্ৰটো-অষ্ট্ৰলয়দ (Proto-Austroloids)সকলৰ তুলনামূলক উন্নত সভ্যতাৰ লগত তিষ্ঠিব নোৱাৰি তেওঁলোক দক্ষিণ ভাৰত আৰু অসমৰ অৰণ্য অঞ্চলত প্ৰৱেশ কৰিছিল।[৪৭] তেওঁলোক কৃষ্ণবৰ্ণৰ চুটি-চাপৰ মানুহ আছিল। তেওঁলোকৰ চুলি কেঁকোৰা আৰু লাওখোলা চেপেটা আছিল। দক্ষিণ ভাৰত আৰু আন্দামান দ্বীপপুঞ্জত এতিয়াও কিছু নেগ্ৰিটো লোকক লগ পোৱা যায়। অসমৰ নগাসকলৰ কিছুমানৰ মাজতো নেগ্ৰিটো মানৱগোষ্ঠীৰ অৱশিষ্ট জীয়াই থকা বুলি কয়।[৪৮] কিন্তু প্ৰসিদ্ধ নৃতত্ত্ববিদ ভূবন মোহন দাসৰ মতে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলত নেগ্ৰিটোসকলৰ কোনো অস্তিত্ব নাই।[৪৯]

দৈহিকভাৱে অসমৰ জনগোষ্ঠীবিলাকৰ মাজত বৰ্তমানে নেগ্ৰিটো উপাদান প্ৰায় নিঃচিহ্ন হৈ গ'লেও তেওঁলোকৰ সংস্কৃতিৰ দুই-এক উপাদান পৰিৱৰ্তিত ৰূপত অসমীয়া

[৪৭] *ibid.*,p.148.
[৪৮] *ibid.*,p.149.
[৪৯] **The People of Assam**,p.74.



সমাজত আজিও জীয়াই আছে। আঁহত, ডিমৰু আদি গছক পবিত্ৰ জ্ঞান কৰা, ঘৰৰ ভিতৰলৈ যোৱা প্ৰৱেশদ্বাৰত মৌৰ বিচনী ওলোমাই ৰখা, আকস্মিকভাৱে মৃত্যুমুখত পৰা লোকৰ মৃতদেহ গছত বান্ধি ৰখা আদি নিয়ম আৰু মৃত্যুৰ পিছত মানুহৰ আত্মাই এটা দুৰ্গম পথ অতিক্ৰম কৰিব লাগে বুলি থকা বিশ্বাস নেগ্ৰিটো সংস্কৃতিৰে অৱদান। তেওঁলোকে বাঁহেৰে কিছুমান বিশেষ প্ৰকাৰৰ মাছ ধৰাৰ সঁজুলি আৰু এবিধ খঁজা বন্দুকো (blow-gun) নিৰ্মাণ কৰিছিল।[৫০] এইবিলাক সংস্কৃতি এতিয়াও আমাৰ সমাজত প্ৰচলিত হৈ আছে।

**প্ৰটো-অষ্ট্ৰলয়দ/অষ্ট্ৰিকসকল ঃ** নেগ্ৰিটোসকলৰ পিছতে ভাৰতবৰ্ষলৈ আহে পূব ভূমধ্যসাগৰীয় অঞ্চলত প্ৰথমে বসতি কৰা আৰু পিছত দক্ষিণ এচিয়া, ভাৰতীয় উপদ্বীপ আৰু ফিলিপাইন অঞ্চললৈ বিস্তৃত হোৱা প্ৰটো-অষ্ট্ৰলয়দসকল। তেওঁলোক নৱপ্ৰস্তৰ যুগৰ সভ্যতাৰ বাহক আছিল। তেওঁলোকক প্ৰাক্-দ্ৰাবিড়ী, অষ্ট্ৰলয়দ, অষ্ট্ৰ'এচিয়াটিক আৰু ৰেদ্দিদ্ নামেৰে জনা যায়। বৈদিক সাহিত্যত তেওঁলোকক নিষাদ বোলা হৈছে। ভাষাৰ ফালৰপৰা তেওঁলোক অষ্ট্ৰিক নামেৰে জনাজাত। অষ্ট্ৰিকসকলে মধ্য ভাৰতৰ অৰণ্যাঞ্চল, হিমালয়ৰ পাদদেশ আৰু ব্ৰহ্মপুত্ৰ-গংগা উপত্যকাৰ সমতলভূমিত গাঁও পাতি বাস কৰিছিল। কালক্ৰমত তেওঁলোকৰ এটা দলে অসমৰ মাজেদি ভাৰতৰ সীমা পাৰ হৈ অষ্ট্ৰেলিয়া পাইছিলগৈ। অষ্ট্ৰেলিয়াৰপৰা তেওঁলোক দক্ষিণ-পূব এচিয়া, পূব ভাৰতীয় দ্বীপপুঞ্জ, আনকি ইণ্ডোনেছিয়া, মালনেছিয়া আৰু পলিনেছিয়া আদিত বিয়পি পৰিছিল।[৫১]

প্ৰটো-অষ্ট্ৰলয়দসকল কৃষ্ণবৰ্ণৰ চুটি-চাপৰ মানুহ আছিল। তেওঁলোকৰ চুলি টৌ খেলা বা সামান্যভাৱে কেকোৰা। তেওঁলোক দীৰ্ঘমস্তকী আৰু কপালখন সামান্যভাৱে ভিতৰলৈ সোমোৱা। তেওঁলোকৰ চকুৰ চেলাউৰি থিয়, নাক বহল আৰু নাকৰ মূৰটো চেপেটা আছিল।[৫২]

দক্ষিণ ভাৰতৰ কিছুমান জনজাতিৰ মাজত প্ৰটো-অষ্ট্ৰলয়দ বৈশিষ্ট্য দেখা পোৱা যায়। উত্তৰ-পূব ভাৰতৰ ৰাভা, গাৰো, কাৰ্বি আদি জনজাতিৰ মাজত কিছুমান প্ৰটো-অষ্ট্ৰলয়দ বৈশিষ্ট্য এতিয়াও বিদ্যমান। অনেকৰ মতে খাচীসকল প্ৰটো-অষ্ট্ৰলয়দ (অষ্ট্ৰিক) গোষ্ঠীৰ লোক, কিন্তু পৰৱৰ্তী কালত মঙ্গোলয়দসকলৰ লগত তেওঁলোকৰ তেজৰ সংমিশ্ৰণ ঘটাত মঙ্গোলয়দ দৈহিক বৈশিষ্ট্যবোৰে তেওঁলোকৰ মাজত প্ৰাধান্য পায়। খাচীসকলৰ ভাষা অষ্ট্ৰ-এচিয়াটিক ভাষা গোষ্ঠীৰ। তৎস্বত্বেও নৃতত্ববিদ ডিক্‌চন

[৫০] Choudhury, op. cit, p.80
[৫১] **The Vedic age**, p.145; লীলা গগৈ, **অসমৰ সংস্কৃতি**, গুৱাহাটী ঃ ডিব্ৰুগড়, ১৯৯৪,পৃঃ১১
[৫২] B.M. Das, **The People of Assam**, p.75.

দুটা সেন্দুৰৰ ফোট দিয়া হয়। হাতত গাম খাৰু, ডিঙিত জোনবিৰি, দুগদুগী, কানত কানফুলি, হাতৰ আঙুলিত আঙুঠি আদি অলঙ্কাৰ পিন্ধাই কন্যা আৰু সখিক সজোৱা হয়।

**কনাই কোলা লোৱা** ঃ কন্যা আৰু সখি সজাই লোৱাৰ পিছত এখৰাহি পিঠা আৰু এপাচি আখৈ আনি কন্যাৰ আগত থয়। ইয়াৰ পিছত কনাই কোলা লবলৈ কনাই বিছাৰি ফুৰে। কনাই সমাজত লুকুৱাই থয়। কন্যাৰ মাকে বিচাৰি বিচাৰি তামোল-পান দি খুজি আনি আৰৈ চাউল এবাটিত কনাইটো বহুৱাই কন্যাৰ কোচত দিয়ে। প্ৰথমে মাকে সোণৰ বস্তু এপদ কন্যাক দি কন্যাৰ হাতৰপৰা চাউলৰ বাতিটোৰে সৈতে কনাই নিজৰ কোচলৈ লয়। আকৌ কনাইটো কন্যাৰ কোচলৈ দিয়ে। আকৌ কন্যাৰ কোচৰপৰা নিজৰ কোচলৈ আনে। এইদৰে তিনিবাৰ অনা নিয়া কৰি কনাই কোলা লৈ কনাইক দুটা চুমা খায়। এইদৰে কন্যাক বস্তু এপদ দি দি মাহী, পেহী, খুড়ী আদি লেখৰ তিনিগৰাকীয়ে কনাই কোলা লয়। এই তিনিগৰাকীয়ে কনাই কোলা লোৱাৰ পিছত চাউলৰ বাতিটো থৈ দিয়া হয়। সখিয়েকেও এযোৰ কাপোৰ দি কনাই কোলাত লয়। অন্য সকলেও কন্যাক সোণ/ কাপোৰ/ টকা আদি দি কনাই কোলা লোৱাৰ নিয়ম। এইখিনিতে কনাই কোলা লোৱা গৰাকীক অন্য এগৰাকীয়ে শুকান পিঠাগুৰি মুখত সানি দি ভুচুংপহু সজাই স্ফুৰ্তি কৰে। আকৌ কনাই কোলা লৈ থাকোঁতেই ককালত পানী ভৰাই দি নাতিনীয়েকে মুতিলে বুলি কৈ চুপতা চুপতি কৰি স্ফুৰ্তি কৰে।

**কনাই খোলা নিয়ম** ঃ কনাই বন্ধা মানুহ গৰাকীয়ে কনাই খুলিবলৈ লয়। কনাইটোৰ মুখ লাগিব বুলি প্ৰথমে নিজৰ চাদৰৰ আগেৰে কোবাই কোবাই কনাই মাৰে আৰু লগে লগে গায় - 'ফু (কল কাটি) ফা (কল কাটি) আগৰ নিচিনা হ (কল কাটি)'। ইয়াৰ পিছত থিয় হৈ কনাইটো হাতত লৈ নচুৱাই নচুৱাই নিজেও নাচি নাচি তিনিবাৰ গায় - 'মাৰৰ নিচিনা নহলি তই, বাপেৰৰ নিচিনা নহলি তই, বাৰীতে আছিলে চেৰপেটি বেং, তাৰে নিচিনা দুটি ঠেং।' এইখিনি কৰাৰ পাছত কনাই খুলি তাৰপৰা চুলি কেইডালমান আনি কন্যাৰ দুখন কানত আৰু মুখত দিয়ে। কনাইটো আকৌ বস্তুখিনিৰে সৈতে টোপোলা কৰি কন্যাৰ কোচত দি জীয়ৰী বোৱাৰী সকলোৱে নাচে। সমন্ধত কন্যাৰ মামীয়েক/মাহীয়েক/খুড়ীয়েক এগৰাকীয়ে দক্ষিণা দি শৰাই আগবঢ়ালে বিহুমৰা সামৰণি মাৰে।

ইয়াৰ পিছত কন্যাক এটা ধুনীয়া ল'ৰা দাঙি লৈ চুমা খাবলৈ দি পিঠা/ লাৰু এটা ল'ৰাটোক শুঙাই দূৰলৈ দলিয়াই দিবলৈ দিয়ে। এইদৰে ছোৱালী এজনীকো দাঙি লৈ পিঠা শুঙাই দলিয়াই দিয়ে।

এইখিনি কৰাৰ পিছত মূৰত চাউল দিয়া ছোৱালী কেইজনীক কন্যাই কাঁহৰ বাতিৰে এবাতি এবাতি পিঠাগুৰি দিয়ে। দিওঁতে বাতিটো একেবাৰে উদং কৰি দিব



নালাগে।

ইয়াৰ পিছত কন্যাৰ মাকে এখন চেলেং কাপোৰেৰে কন্যাৰ গা আৰু নিজৰ গাটো লৈ কন্যাৰ ডিঙিত ধৰি সেৱা লয়। এগৰাকী বুঢ়ীআয়ে 'অ' হৰি অ' ৰাম' বুলি কৈ সুখে শান্তিৰে পৰিপূৰ্ণ হৈ সন্তান সন্ততিৰে ভৰ-পূৰ এখন সংসাৰ হ'বলৈ বুলি কন্যাক আশীৰ্বাদ দিয়ে। শেষত তিনিটা উৰুলি দি বিয়া ভাঙি ঘৰা ঘৰি যায়। ৰাতিলৈ বুঢ়া-মেথা কেইজনমান মাতি নাম পাতি পকা ভগীয়াসকলে ভাত মাছ মাংস ৰান্ধি সাজ পানীৰে ভোজ দি মৃতকৰ পাত পাৰি কন্যাৰ ব্ৰত ভাঙে। কেঁচাভগীয়া সকলে ভোজ নুলিয়ায়।

বিয়া ভগাৰ পিছত সখি ঘৰলৈ যাবলৈ ওলায়। বিয়াত উঠা আৰু অন্যান্য বস্তুৰে কন্যাৰ ঘৰৰপৰা সখিৰ লগত অহা ভাৰ আৰু দালিখৰাহীত ভৰাই বান্ধি দি ভাৰীক লৈ যাবলৈ দিয়ে। কন্যাৰে সৈতে ঘৰৰ সকলোৱে সখিক আথে-বেথে পদূলীৰ মুৰলৈকে আগবঢ়াই দিয়ে।

এই নিয়মেৰে চুতীয়াসকলে তোলনি বিয়া পাতে। এই বিয়াত পুৰুষৰ স্থান নাই। দুই এটা কাম পুৰুষে কৰি দিবলগীয়া হ'লেও কাম কৰি বিয়া ঘৰৰ পৰা আঁতৰি থাকে। মাতিলে কামটো কৰি দি আকৌ আঁতৰি থাকে। এই বিয়াখন তিৰোতা প্ৰধান। বিয়াৰ আদিৰ পৰা অন্তলৈকে তিৰোতাসকলে ঘৰুৱা শব্দ ব্যৱহাৰ কৰে। বিয়ানাম বিলাকো তেনে শব্দৰে ৰচিত। উৰুলি আৰু বিয়ানামবিলাক য'ত যেনেকৈ দিব লাগে, গাব লাগে তেনেকৈ আৰম্ভনিৰপৰা শেষলৈকে গায়। প্ৰাণখুলি আয়তীসকলে আনন্দ-স্ফুৰ্তি কৰে। সেইবাবে এইখন বিয়াক আই-বাইসকলৰ বিয়া বুলিও কয়।

**বৰ বিয়া ঃ**

চুতীয়াসকলৰ মাজত প্ৰচলিত কিংবদন্তি মতে প্ৰাক্ ঐতিহাসিক কুণ্ডিলৰ ৰজা ভীষ্মক তেওঁলোকৰ আদি ৰজা আছিল। তেওঁৰেই জীয়েক ৰুক্মিণীক ৰাক্ষস পদ্ধতিৰে দ্বাৰকাৰ শ্ৰীকৃষ্ণই বিয়া কৰাইছিল। এই কথা **বিষ্ণু পুৰাণ**ত উল্লেখ আছে। চুতীয়া ৰাজ্যত প্ৰচলন থকা আন এবিধ বিবাহৰ কথা বুৰঞ্জীত পোৱা যায়। সেইবিধ হ'ল সয়ম্বৰ বিবাহ। চুতীয়া ৰজা ধৰ্মধ্বজপালে জীয়েক সাধনীক দিবৰ বাবে উপযুক্ত পাত্ৰ নেপাই সয়ম্বৰ পাতি নীতিপাললৈ বিয়া দিছিল আৰু তেওঁৰ বৃদ্ধ অৱস্থাত জোঁৱায়েক নীতিপালকে ৰজা পাতিছিল।

পুৰণি চুতীয়া সমাজত বহু প্ৰকাৰৰ বিবাহ পদ্ধতি প্ৰচলন আছিল আৰু তাৰে কিছুমানৰ এতিয়াও চলন্তি আছে। সেইবোৰৰ ভিতৰত - বৰ বিয়া, দিন বিয়া, ভোজ খুৱাই নিয়া বিয়া, ফুচুলাই নিয়া বা পলাই যোৱা বিয়া, আশীৰ্বাদ দি বা মালা পিন্ধাই নিয়া বিয়া, যোৰণ পিন্ধাই নিয়া বিয়া, ধৰি নিয়া বিয়া আদি প্ৰধান।

পৰম্পৰাগত চুতীয়া সমাজত দৰা আৰু কইনা উভয়ৰ পক্ষত সখিৰ এটা বিশেষ ভূমিকা আছে। আৰু সেই বাবেই ল'ৰা-ছোৱালীৰ সৰু অৱস্থাতে পিতৃ-মাতৃয়ে মনে

মিলা ল'ৰা-ছোৱালীৰ মাজত সখি পাতি দিয়ে। অৱশ্যে আজিকালি চহৰ অঞ্চলত ছোৱালীৰ সখি উপস্থিত থকা দেখা নাযায়। কিন্তু দৰাই বিয়াৰ কেইদিনমানৰ আগতে হ'লেও তেওঁৰ কোনোবা বন্ধুৰ লগত সখি পাতি লয় আৰু সেই সখিয়ে বিয়াৰ দিনা দৰাৰ লগত কন্যাৰ ঘৰলৈ যায়। তলত চুতীয়াসকলৰ সখি পতা অনুষ্ঠানৰ এটি চমু বিৱৰণ দিয়া হ'ল।

**সখি ঃ** সাধাৰণতে সখি পাতিবলৈ মনে মিলা বন্ধু বিচৰা হয়। ল'ৰা দুজনৰ মাক-বাপেকে ইঘৰে সিঘৰলৈ অহা-যোৱা কৰি কথা-বতৰা পাতি মন মিলিলে এদিন আনুষ্ঠানিকভাৱে জনায়। বংশৰ মানুহ কেইজনমান মাতি ইঘৰে-সিঘৰত তামোল-পাণ কাটি সখি বন্ধোৱা ভোঁজ-ভাত খায়। সখি বন্ধোৱা দিনাৰ পৰা দুয়োঘৰ মানুহৰ মাজত বংশৰ সম্বন্ধ ঘটে আৰু সেই পুৰুষত দুয়োঘৰৰ মাজত ছোৱালী অনা-নিয়া কৰিব নোৱাৰে। মানুহ মৰিলেও একে চুৱা লাগে।

ল'ৰাৰ দৰে ছোৱালীৰো পুষ্পিতা হোৱাৰ আগতে সখি বন্ধোৱা নিয়ম। সেই নিয়ম অনুসৰি সমবয়সীয়া আৰু বংশৰ সম্বন্ধ নথকা দুগৰাকী ছোৱালীৰ মাজত সখি বন্ধোৱা হয়। দুয়োগৰাকীৰে মাক দেউতাকৰ সন্মতি সাপেক্ষে যিকোনো এঘৰত সখি বন্ধোৱা উৎসৱ অনুষ্ঠিত কৰে। সখি পতা অনুষ্ঠানবোৰত বিশেষকৈ বুঢ়ী আইতাকহঁতৰ ভূমিকাই বেছি আছিল। কাৰণ, বুঢ়ী আইতাকহঁতে নিজৰ নাতিনীহঁতৰ বাবে সখি নিৰ্বাচন কৰাত আগ ভাগ লয়। এই উৎসৱত সখি পাতিব লগা ছোৱালী দুগৰাকীয়ে সন্মুখা সন্মুখিকৈ বৈ পৰস্পৰে পৰস্পৰক 'আমি দুয়ো আজিৰ পৰা সখি হ'লো' বুলি কৈ একোখনকৈ তামোল সলনা-সলনি কৰি খায় আৰু এপদ অলঙ্কাৰ বা একোখন বস্ত্ৰ সলাই লয়। সেইদিন ধৰি তেওঁলোক সখি হৈ পৰে আৰু তেওঁলোকৰ ঘৰ দুখনৰ মাজতো এক আত্মীয় সম্বন্ধ গঢ়ি উঠে। চুতীয়াসকলৰ মাজত সখিয়েকক 'দৌ' বুলি সম্বোধন ধৰিহে মাতে।

চুতীয়া ছোৱালীৰ নোৱাই-তোলনি বিয়াত সখিয়েককো নোৱাই-ধুৱাই একেলগে সজাই-পৰাই বহুৱা হয়। ঠিক সেইদৰে বৰ বিয়াতো একেদৰেই সখিয়েক গৰাকী নহ'লেই নহয়।

ল'ৰাৰ বিয়া পতা বয়স হ'লে মাক-বাপেকে আলোচনা কৰি আলেঙে-আলেঙে ছোৱালী চাই ফুৰে। কাৰোবাৰ ঘৰত ছোৱালী পচন্দ কৰিলে ল'ৰাৰ সখিয়েকক মাতি আনি ল'ৰাৰ মতামত জনাবলৈ কয়। সখিয়েকৰ মুখে ল'ৰাৰ সন্মতি আছে বুলি জানিলে ল'ৰাৰ বাপেকে গৈ ছোৱালীৰ মাক-বাপেকৰ ঘৰত ল'ৰা-ছোৱালী হালৰ বিয়া পতা সম্পৰ্কে আলোচনা কৰে। ছোৱালীৰ মাক-বাপেকে সন্মতি জনালে দিন-বাৰ চাই এদিন দৰা ঘৰৰ মানুহক 'ঘৰ চোৱা' খাবলৈ আমন্ত্ৰণ জনায়। সেইমতে দৰা ঘৰে বংশৰ বয়োজ্যেষ্ঠ পুৰুষ-মহিলা কেইজনমানক লৈ 'ঘৰ চোৱা' খাবলৈ যায়। এই ছেগতে ছোৱালীৰ ঘৰধৰা



লক্ষণ আছে নে নাই তাকো নিৰীক্ষণ কৰে। ঘৰ চাবলৈ আহোঁতে দৰাৰ ঘৰৰ পৰা বৰ ভাৰ এখনত তামোল-পাণ, কোমল চাউল, গুৰ, কল, গাখীৰ আদিৰে এখন চৈ দিয়া ভাৰ আৰু আনখন সাঙি ভাৰত চাউল, হাঁহ, পাচলিৰে সৈতে আনিব লাগে। সখিয়েক আৰু ল'ৰাও লগতে 'ঘৰ চোৱা' খাবলৈ যায়। ছোৱালীৰ মাক আৰু খুড়ীয়েকে ছোৱালীৰ মোমায়েকহঁতক আৰু ছোৱালীৰ বাপেকৰ ফালৰ মূৰব্বীসকলক তামোল-পাণৰ মাননি দি জোঁৱাই চিনাকি কৰাই দিয়ে। 'ঘৰ চোৱা' অনুষ্ঠান শেষ হোৱাৰ পিছৰ পৰা বিয়া নোহোৱালৈকে মাজে-সময়ে জোঁৱায়েকে শহুৰৰ ঘৰলৈ অহা-যোৱা কৰি থাকে। কইনাৰ ঘৰে বিয়াৰ দিন দীঘলীয়া কৰি জীয়েকে জোঁৱায়েকৰ লগত খাব পাৰিবনে নোৱাৰে, তাকো আলেঙে আলেঙে খবৰ-খাতি লয়। ইয়াৰ মাজতে দৰা ঘৰেও ছোৱালী ঘৰক এদিন 'ঘৰ চোৱা' খাবলৈ আমন্ত্ৰণ জনায়। ছোৱালী ঘৰেও নিয়মেৰে ভাৰ লৈ দৰাৰ ঘৰত 'ঘৰ চোৱা' খাবলৈ আহে। এইদৰে কেইমাহমান দৰাঘৰৰ খবৰ ছোৱালী ঘৰত দিয়া আৰু ছোৱালীঘৰৰ খবৰ দৰা ঘৰত দিয়া কামবিলাক দৰাৰ ভায়েকে কৰে। সেয়েহে গৈ গৈ খবৰ অনা আৰু দিয়া কৰাৰ বাবে ন বৌয়েকে দেওৰেকক 'গৈগৈ'/'গৈগৈ' বুলি মাতে। এইদৰে কেইমাহমান যোৱাৰ পিছত কইনা ঘৰে তামোল-পাণ কাটিবৰ কাৰণে দিন-তাৰিখ দিয়ে। সেইমতে দৰা ঘৰৰ পৰা কেইগৰাকীমান পুৰুষ-মহিলাৰ সৈতে বুঢ়া ভকতৰ ভাৰ এখন আৰু তামোল-পাণৰ টোপোলা লৈ ছোৱালী খোজেগৈ। ছোৱালী ঘৰেও নিজৰ ঘৰুৱা আৰু গাঁৱৰ মূৰব্বী ভকত-ভকতনীক তামোল-পাণ কটা অনুষ্ঠানলৈ 'ভাৰ টোপোলা' খাবলৈ মাতে। কোনো কোনোৱে এই অনুষ্ঠানক শৰাই পেলোৱা বুলি কয়। ইয়াতেই বিয়াৰ দিন-বাৰ ঠিক হয়।

বিয়াৰ দিন-বাৰ ঠিক হোৱাৰ দিনা সেই সমাজতেই দৰা ঘৰে শৰাইত তামোল-পাণ দি কইনা পক্ষৰ ভকতসকলক বিয়াৰ খৰচ-পাতি, দৰা ঘৰে কি দিব লাগিব জনাবলৈ সেৱা জনায়। কইনা ঘৰেও ভকতৰ ওচৰত সেৱা লৈ ৰাইজে কি খায় কি নাখায় আৰু পূৰ্বৰ কি ৰীতি-নীতি আছে, সেই মতেই বিয়াৰ খৰচৰ হিচাপ ঠিক কৰিবলৈ অনুৰোধ কৰি ৰাইজক গটাই দিয়ে। ইয়াৰ পিছত উভয় পক্ষ লগ লাগি আলোচনা কৰি সুবিধানুসৰি বিয়া কেইদিনীয়া হ'ব ঠিক কৰে। বিয়া মাতিবলৈ তামোল-পাণ আৰু হাঁহ কেইটামান বিয়াৰ ১৫/২০ দিন মানৰ আগতে কইনা ঘৰত দিবহি লাগে। এইদৰেই বিয়াৰ খৰচৰ হিচাপ দি ৰাইজে উভয় পক্ষৰ গৃহস্থক জনায়।

দৰা ঘৰে বিয়া মাতিবলৈ তামোল-পাণ ছোৱালী ঘৰক দিয়াৰ দিনাৰ পৰা কইনাক ভাত খুৱাবলৈ মিতিৰ-কুটুম্বে আমন্ত্ৰণ জনাব পাৰে। কিন্তু মিতিৰ কুটুম্বৰ ঘৰত কইনাই ভাত খাবলৈ যোৱাৰ আগতেই কইনাৰ নিজৰ ঘৰত কইনাৰ সমনীয়া তিনিগৰাকী বান্ধৱী মাতি প্ৰথমে ভাত এসাজ খুৱাই লয়। তাৰ পিছতহে কইনাক আনৰ ঘৰত ভাত খাবলৈ যাবলৈ দিয়ে।

দৰা-কইনা দুয়োঘৰে এটা নিৰ্দিষ্ট দিনত গাঁৱৰ মানুহক বিয়া মাতিবলৈ তামোল-পাণ বান্ধিবলৈ মাতে। তামোল-পাণ বান্ধিবলৈ অহা ৰাইজে কোনে কি মান পায়, সেই মতেই তামোল-পাণ বান্ধে। প্ৰথমে সম্পূৰ্ণ মানুহ তিনিঘৰ আৰু গাঁৱৰ মূৰব্বীজনক বিয়ালৈ মতাৰ পিছত আন আন লোকক বিয়ালৈ মতা নিয়ম। চুবুৰীয়াক বিয়ালৈ আৰু বিয়াত কাম-বন কৰি দিবলৈ দুয়োৰেকৈ তামোল-পাণ দি মাতে। দৰা-কইনা দুয়োৰে ঘৰত টেকেলি (যোৰণ) দিয়াৰ দিনা বেই সাজে। বেইৰ টিপ তুলবলৈ বৰ বিয়া কৰা আৰু মাক-বাপেক থকা মানুহ এজন বা দুজনক তামোল-পাণৰ মান দি মাতি আনে। তোলনি বিয়াত উল্লেখ কৰাৰ দৰেই একে নিয়মেৰে বৰ বিয়াৰ বেই সাজে। মাত্ৰ বৰ বিয়াৰ বেইৰ আগত কইনাৰ ককায়েকৰ (বৈনায়েক) কলপুলিটো নাথাকে। বেই সাজোঁতে প্ৰতিটো কামৰ আৰম্ভণিত আৰু শেষত তিনিবাৰকৈ উৰুলি দি নাম গায়। বেই সাজি অতোঁৱাৰ পিছত আমঠালি এঁৰা সূতাৰ বটিয়াত বান্ধি চাৰিওফালে মেৰিয়াই দিয়ে। ইয়াৰ পিছত ঘৰৰ সকলো দুৱাৰ-খিৰিকিত আমঠালি বান্ধি দিয়ে।

বৰ বিয়া সাধাণতে তিনিদিনীয়া হয়। দিন-বাৰৰ খেলি-মেলিত কেতিয়াবা দুদিনীয়াকৈও পাতে। বিয়াৰ প্ৰথম দিনা জ্যেষ্ঠা বুঢ়া-বুঢ়ী আৰু সম্বন্ধীয় লোক কেইজনমান দৰাৰ মাকৰ সৈতে কইনাৰ ঘৰত টেকেলি আৰু যোৰণ দিবলৈ আহে। টেকেলি দিবলৈ আহোঁতে দুলনী এখনত পৰলীয়া চাউল, কলডিল/বিজুৰীয়া চেনিকল বা জাতিকল এক আঁথি, এঁৰা সূতা, উলু খেৰ কেইডালমান, মিঠাতেল, মাটি চাকি এগজ আৰু টেকেলি দুটা আনে (এটা কইনাৰ ঘৰত থৈ যায়)। টেকেলি দুটাত মুখলৈকে পানী ভৰাই তাতে আমঠাল গুজি দি ডিঙিত এৰা সূতাৰে মেৰিয়াই আনে। কইনা নোৱাবলৈ পিন্ধা সাজ, ভঙা মাটিমাহ, কেঁচা হালধি, গাঁঠিয়ন আদি আনে। গাঁঠিয়ন খুন্দিবলৈ - গাঁঠিয়ন, কপাহৰ গুটি, ফুটছাঁই আৰু দুবৰি বন একোচা আনে।

যোৰণলৈ বুলি কন্যাৰ বাবে তিনিৰ পৰা নযোৰ পৰ্যন্ত সাজ আনে। তাৰে এযোৰ মূগাৰ আৰু এযোৰ বগা পাটৰ কাপোৰ ফুল বচা আৰু পাৰি দিয়া হ'ব লাগে। পাটৰ এইযোৰ কাপোৰ পিন্ধিয়েই কন্যাই বিবাহত বহাৰ নিয়ম। সাজ-পাৰৰ লগতে সোণ-ৰূপ অলঙ্কাৰ আৰু আইনা, ফনি, সেন্দুৰ আৰু প্ৰসাধনৰ অন্যান্য বস্তুৰ লগতে কেঁচা অথবা ৰূপৰ তামোল আৰু দুখন ডাব কটাৰী কন্যাক দিব লাগে। কন্যাৰ মাকলৈ বুলি অনা সাজটো যোৰণৰ ভিতৰৰে এটা অপৰিহাৰ্য অঙ্গ। যোৰণৰ এই সকলো বস্তু হিচাব কৰি এটা কাঠৰ পেৰাত ভৰাই যোৰণলৈ ওলোৱাৰ আগে আগে বিধি মতে দৰাৰ হতোৱাই সকলোখিনি হাতেৰে স্পৰ্শ কৰি দুই-চাৰিজন বৃদ্ধ-বৃদ্ধাৰ আশীৰ্বাদ লৈ যোৰণলৈ বুলি ওলাই আহে। টেকেলি অৰ্থাৎ যোৰণ গৈ কন্যাৰ ঘৰৰ পদূলিমুখ পালেগৈ কন্যাৰ ঘৰৰ আয়তীসকলে উৰুলি দিয়ে। কইনাৰ মাকক বিচনী এখনেৰে আগফালে আঁৰ দি আয়তীসকলে তামোল-পাণৰ শৰাই লৈ টেকেলি আদৰিবলৈ যায়। দৰাৰ মাকো তামোল-



পাণৰ শৰাই লৈ পদূলিত পুতি থোৱা কলতলত ৰৈ থাকে। দুয়ো বিয়নীয়ে কলৰ তলতে দুয়োখন শৰাই তিনিবাৰ সলনা-সলনি কৰে। কইনাৰ মাকে বিচনীৰে দৰাৰ মাকক তিনি বিচমান মাৰি দুয়ো বিয়নীয়ে সাৰটা-সাৰটি কৰি লৈ ৰভা তললৈ আনি বিয়নীয়েকক বহুৱাইহি।

ৰভাৰ তলত সুন্দৰকৈ নোৱানি ঠাই সজোৱা থাকে। কিছু পৰৰ পিছতে কন্যাৰ মাকে কন্যাৰ চাদৰৰ আছঁলত ধৰি ৰভা তললৈ উলিয়াই আনে। টেকেলি দিয়া সকলো বস্তু দুই-তিনিখন ডাঙৰ শৰাইত সজাই লৈ এবিধ এবিধকৈ দেখুৱাই কন্যাৰ ঘৰত সোধাব লাগে। ইয়াৰ পিছতে দৰা ঘৰৰ মহিলাসকল ভিতৰত গৈ লগত নিয়া পৰলীয়া চাউলেৰে কইনাৰ ওচৰত দুনৰি সজাই তাতে কলডিল/বিজুৰীয়া কল এক আঁথি, তামোল-পাণ, পইচা দি চাকিগজ জ্বলাই দিয়ে। দৰাৰ মাকে প্ৰথমে তামোল-কটাৰীৰ তামোলটো কইনাৰ শিৰত থৈ তাৰ ওপৰত যোৰণৰ আঙুঠিটো দি তিনিবাৰ কইনাৰ মূৰত তেল দি সেই আঙুঠিৰে কইনাৰ শিৰত সেন্দুৰৰ ফোঁট দিয়ে। এই সময়ছোৱাত আয়তীসকলে মূৰত তেল দিয়া নাম গাই উৰুলি দিয়ে। সেই মুহূৰ্তৰ পৰাই ছোৱালীজনী দৰাৰ পত্নীলৈ ৰূপান্তৰিত হয়। ইয়াৰ পিছতেই দৰাৰ মাকে কন্যাক এপদ-এপদকৈ দৰাঘৰীয়া অলঙ্কাৰবোৰ পিন্ধায় আৰু আটাই কেইযোৰ সাজৰে চাদৰকেইখন কইনাৰ গাত দিয়ে। মূল কাপোৰ যোৰৰ চাদৰখন গাত লৈ কন্যাই ৰাইজক সেৱা কৰি আশীৰ্বাদ লয়। আৰম্ভনিৰ পৰা শেষলৈকে যোৰণৰ গোটেই অনুষ্ঠানটোৰ প্ৰতিটো উপলক্ষত মিলি যোৱাকৈ আয়তীসকলে সুললিত কণ্ঠেৰে বিয়া নাম গাই থাকে। তাৰ পিছত যিসকল লোকে মান পায়, সেই সকলক তেনেকৈয়ে কইনাই মান ধৰে। এইখিনি কাম শেষ হোৱাৰ পিছত কইনাৰ মাকক দৰা ঘৰৰ পৰা সাৰ-কাপোৰ এযোৰ দিয়ে আৰু হাঁহ, ডাল-কচু, জালুক আদিৰে 'পেট পোৰা' ভোজনি এটাও দিয়ে। কইনা ঘৰেও দৰালৈ বুলি এযোৰ সাজ আৰু দৰা নোৱাবলৈ চুৰিয়া, গামোচা, চাদৰ আদি দি পঠায়।

টেকেলিত অনা তামোল দুটা আৰু কটাৰী দুখনৰ এটা তামোল আৰু এখন কটাৰী কন্যাৰ হাতত দি ইটো তামোল আৰু ইখন কটাৰী কন্যাৰ হাতেৰে স্পৰ্শ কৰাই দৰাৰ হাতত দিবলৈ লৈ যায়। গাঁঠিয়ন, কেঁচা হালধি, মাটিমাহ আদিও তেনেকৈয়ে আধাখিনি কন্যাৰ বাবে ৰাখি বাকীখিনি কন্যাৰ হতোৱাই স্পৰ্শ কৰাই দৰালৈ বুলি লৈ যায়। যোৰণ পিন্ধোৱা কাম শেষ হোৱাৰ লগে লগে দৰাৰ ঘৰ দূৰণিবটীয়া হ'লে কন্যা ঘৰে ভাতৰ আয়োজন কৰে আৰু ওচৰতে হ'লে চাহ-জলপান খোৱাই আপ্যায়িত কৰে। যোৰণ দিয়া মানুখিনিক কন্যাই পদূলি মুখলৈকে আগবঢ়াই দিয়া নিয়ম।

টেকেলি দিয়াৰ দিনা গধূলিৰ পৰা কইনাই দৰা ঘৰৰ পৰা খাব লাগে। সেইদিনাৰ পৰাই কইনা দৰা ঘৰৰ হৈ পৰে। সেইদিনা গধূলিৰ পৰা কইনাই ভাত খাবৰ বাবে শাক-পাচলি, হাঁহ কণী, ভাত-পানী ৰান্ধিবলৈ বাচন-বৰ্তন, আমখৰি আৰু উধান কৰিবলৈ

আম গছৰ ডালেৰে খুটি দিব লাগে।

টেকেলি দিয়া দিনা ৰাতিৰ পৰা আচল বিয়া আৰম্ভ হয়, কইনা নোৱাবৰ কাৰণে ওচৰৰ আই-বাইসকল, বুঢ়া-ভকত আৰু ঢুলীয়া আহি ৰভা তলত নিয়মমতে বহেহি। গৃহস্থই তামোল-পাণৰ মাননি দি সকলোকে সেৱা জনাই তেওঁলোকৰ নিজ নিজ কাম কৰিবলৈ অনুৰোধ কৰে। লগে লগে দুনৰি টেকেলি লোৱা এৰা ছোৱালী, পানী তুলিবলৈ যাব লগা আই-বাইসকল আৰু কইনাই ভকত সেৱা লয়। ঘাই টেকেলিটো কাইনাৰ মাকে আৰু দৰাৰ ঘৰত দৰাৰ মাকে পানী তুলিবলৈ যাওঁতে ল'ব লাগে। কইনাক পাটীত চাউল ছটিয়াই বহুৱাই লৈ সজোৱা দুনৰি টেকেলিবোৰ কইনাৰ আগত থ'ব লাগে।

ঘৰৰ পৰা পূব দিশত বেলেগ বেলেগ পুখুৰীত পানী তোলা নিয়ম। ঢুলীয়াসকলে পানী তোলা লেহেতীয়া চেও মাৰি পানী তুলিবলৈ আগে আগে যায়। তাৰ পিছত দুনৰি, টেকেলি লোৱাসকল আৰু আই-বাইসকলে পানী তোলা নাম গাই গাই পানী তুলিবলৈ যায়। পুখুৰীত/ঘাটত পানী যুৰঁলিত ঘাই টেকেলি লোৱা গৰাকীয়ে তিনিটা মাটিৰ ঢিপ তোলে। প্ৰতিটো ঢিপতে উলু খেঁৰৰ খৰিকা গুজি তাৰ চাৰিওফালে এৰা সূতাৰে তিনিপাক মেৰিয়াই বান্ধে। তাৰ পিছত দুনৰিত থকা থুৰিওৱা তামোলখন দুহাতে কাঁজলি পাতি মুখৰ আগত লৈ থাকে। আন এজনীয়ে ঘাই টেকেলিৰ পানী হাতৰ কাজলিত বাকি দি সোধে, 'কি শুনি আহিছ', তাই কয়, 'বিয়া শুনি আহিছো', 'কাৰ বিয়া', 'বেলিদৈৰ বিয়া' ইত্যাদি। ইয়াৰ পাছত টেকেলিৰ মুখত থকা আমঠালেৰে হাতৰ থৰুৱাত কোবাই দিয়ে। থুৰিওৱা তামোলখন সূতাৰে মেৰিয়াই ঢিপৰ ওপৰত থয়। দুনৰিত থকা ফণিখনেৰে ঢিপটো তিনিবাৰ ফনিয়াই তিনিবাৰ উৰুলি দি ঢিপটো পানীলৈ চোঁচা মাৰি পেলাই দিয়ে। ইয়াৰ পিছত তিনিবাৰ পানী কাটি ঘাই টেকেলিটোত তিনিবাৰ পানী ভৰাই পূৰ কৰে আৰু প্ৰতিবাৰতে তিনিবাৰকৈ উৰুলি দি ঘাই টেকেলি ধৰা গৰাকীয়ে মুখত এমোকোৰা পানী লৈ যোৱা বাটেৰেই ঘৰলৈ ঘূৰি আহি আটাইবোৰ বেইৰ ওচৰত ৰৈ থাকে। টেকেলি, দুনৰি লোৱা কেইগৰাকী ভিতৰত বহি থকা কইনাৰ ওচৰলৈ যায়। ভিতৰলৈ যাওঁতে দুৱাৰ মুখত খুটাৰ গুৰিত মুখত অনা পানীখিনি পেলাই দিয়ে আৰু টেকেলিৰ পানী, দুনৰিৰ চাউল অলপ অলপ ঘৰৰ চাললৈ তিনিবাৰ ছটিয়াই তিনিবাৰ উৰুলি দিয়ে। কইনাক নোৱাবলৈ কইনাৰ হাতত কাপোৰৰ আগ এটা দি তাতে কলহটো লগাই ককায়েকে দাঙি আনে। ঢুলীয়াই কইনা নোওৱা লেহেতীয়া ঢোলৰ চেও বজাই আগত যায় আৰু ঢুলীয়াৰ পিছত ঘাই টেকেলি লোৱাজনীয়ে কইনাৰ কাপোৰত ধৰি কইনাৰ আগে আগে যায়। কইনাৰ পিছত লোটা লোৱা জনীয়ে কইনাৰ গালৈ পানী ছটিয়াই পিছে পিছে যায়। দুনৰি লোৱাজনীয়ে দুনৰিৰ পৰা বেইৰ ওপৰলৈ চাউল ছটিয়াই যায়। এইদৰে বেইৰ চাৰিওফালে তিনিপাক ঘূৰি টেকেলি, দুনৰি লোৱা কেইগৰাকী আগফালৰ খুটাৰ মাজেদি সৰকি ৰৈ যায় আৰু লোটা লোৱা গৰাকীয়ে লোটাটো বেইৰ



খুটাৰ আগফালৰ খুটাৰ ভিতৰেদি তিনিবাৰ সৰকায়। ইয়াৰ পিছত কইনাক বেইৰ ঢোপৰ ওপৰত পাৰি থোৱা চামৰ পীৰাত বহুৱাই দিয়ে। ভৰি থ'বলৈ ভীমকলৰ আগলি কলপাত এখনৰ ওপৰত দুটা খেৰৰ মুঠি, তাৰ মাজত সৰু শিল দুটা দিয়ে। যাঠি এডাল, দা এখন ঢোপৰ কাষতে থয়। কইনা নোৱাবলৈ দৰাৰ ঘৰৰ পৰা দিয়া মাহ-হালধি কইনাৰ সোঁ-হাতে থয়। মাকে কইনাক প্ৰথমে নোৱায়। টেকেলি লোৱাজনীয়ে কইনাৰ চুলিকোচা মূৰৰ ওপৰেদি ওভোটাই আনি কপালৰ আগত ধৰি থাকে আৰু আন এজনীয়ে মূৰত তিনি কলহ পানী ঢালে। পানী ঢালি থাকোতে টেকেলি লোৱাজনীয়ে চুলি কোচা জোকাৰি থাকে। প্ৰতি কলহ পানী ঢালোতে উৰুলি দিয়ে। কইনা নোৱাবলৈ অনাৰ দৰে পুনৰ কইনা বহা ঠাইলৈ লৈ যায় আৰু তাতে পোছাকী কাপোৰ-কানি পিন্ধাই উৰণি দি বহুৱায় থয় আৰু আয়তীসকলে নাম গাই থাকে। এইদৰেই টেকেলি দিয়াৰ দিনাৰ পৰা বিয়াৰ দিনালৈকে দৰা-কইনাৰ ঘৰত তিনিও দিন পানী তোলে। দৰা-কইনাৰ সখিয়েকহঁতকো একে নিয়মেৰে বেইৰ ওচৰত আগলি কলপাত এখনত থিয় কৰাই লৈ তাতে গা-পা ধোৱাই নোৱায় আৰু একেলগে আনি সাজ-পাৰ পিন্ধায়।

ঘাই বিয়াৰ আগৰাতি আগৰ দিনাতকৈ নিয়ম কিছু বেছি হয়। সেইদিনা আগদিনাৰ দৰে পানী তুলি আহি কইনাক গা ধুওৱাৰ পিছত ৰভা তলত বহুৱাই গাঁঠিয়ন খুন্দে। ঘাই টেকেলি লোৱাজনীয়ে (মাকে) চাউলৰ টোম এটাত বহি লৈ কইনাৰ ককালত সাৱট মাৰি ধৰি থাকে। কইনাৰ আগফালে বুঢ়ী-জীয়ৰী পাঁচজনী ওচৰা-ওচৰিকৈ ঘূৰণীয়াকৈ বহি লয়। গাঁঠিয়ন খুন্দাকেইজনীৰ দুফালে দুজনীয়ে কাপোৰ এখন দুই মূৰে বহলকৈ মেলি জোকাৰি জোকাৰি ধৰি থাকে। কাপোৰখনৰ ওপৰত কপাহগুটি, ফুটচাই থয়। গাঁঠিয়ন খুন্দা কেইগৰাকীৰ মাজত পটা এখন বা শিল এচটাত গাঁঠিয়ন আৰু দুৱৰিবন থৈ লয়। গাঁঠিয়ন খুন্দিবলৈ বহি লোৱা আটাই কেইজনীয়ে পটা-গুটিৰ শিলগুটিটো ওপৰা-ওপৰিকৈ ধৰি গাঁঠিয়নৰ ওপৰত তিনিবাৰ খুন্দা মাৰে। খুন্দা মৰাৰ প্ৰতি বাৰতে উৰুলি দিয়ে আৰু তাৰ পাছত প্ৰতিজনীয়ে কইনাক গাঁঠিয়ন ফোঁট দি নিজেও ফোঁট লয়।

ইয়াৰ পিছত 'কুলা-বুঢ়ী' নাচে। কইনা বা দৰাৰ আগত গাঁঠিয়ন খুন্দোতে কাপোৰৰ ওপৰত লোৱা বস্তুখিনিকে ভগা ডলা এখনত তুলি লৈ বুঢ়ী এগৰাকীয়ে ডলাখন মূৰত লৈ সোঁহাতত এপাত যাঠি আৰু বাওঁ হাতেৰে ডলাখন ধৰি ঢোলৰ চেৱে-চেৱে ঘূৰি ঘূৰি নাচে আৰু প্ৰতি বাৰতে দৰা বা কইনাৰ আগত আঁঠু লৈ বহে আৰু ডলাত থকা দুৱৰিৰে দৈয়ন দিয়ে। আন এজনী ছোৱালীয়ে টেকেলিৰ আম ঠালেৰে হাতৰ থৰুৱাত কোবাই উৰুলি দিয়ে। কুলা-বুঢ়ীয়ে কইনা বা দৰাক বৈবাহিক জীৱন সুখৰ হ'বৰ কাৰণে নানা পৰামৰ্শ দিয়ে। আন বিলাকেও কুলা-বুঢ়ীৰ ঘৰ ক'ত? কি কাৰণে আহিছে? বিয়া বুলি কেনেকৈ গ'ম পালে ইত্যাদি প্ৰশ্নবোৰ সোধে আৰু কোলাবুঢ়ীয়ে খুহুতীয়াকৈ প্ৰশ্নবোৰৰ

উত্তৰ দিয়ে।

সেইদিনা ৰাতিপুৱাৰ আগে আগে দুনৰি, টেকেলি, লোটালোৱা ছোৱালী কেইগৰাকী আৰু বুঢ়ী কেইগৰাকী মানেৰে ঘাই টেকেলি লোৱা গৰাকীয়ে গা ধুই তিতা গাৰেই মনে মনে চোৰ পানী তুলি আনৈগে। চোৰ-পানী তোলাৰ পিছত কইনাক ঘৰৰ ঘাই দুৱাৰ মুখত বহুৱাই লৈ মাকে দৈয়ন দিয়ে। এটা বাটিত মাহ-হালধি আৰু আনটো বাটিত দৈ যোগাৰ কৰি থয়। মাকে দুয়োখন হাততে পাণ আৰু দুবৰি একেলগে ধৰি বাটি দুটাত জুবুৰিয়াই জুবুৰিয়াই দুয়োহাতেদি কইনাৰ গালত, বাহুত আৰু আঁঠুত এবাৰ এবাৰকৈ তিনিবাৰ লগাই দৈয়ন দিয়ে আৰু প্ৰতিবাৰতে তিনিবাৰকৈ উৰুলি দিয়ে। দৈয়ন দিওঁতে বুঢ়ীহঁতে নাম গায়। দৈয়ন দিয়াৰ পিছত ডেকা-গাভৰু আৰু বুঢ়ীহঁতে ঘৰত গা-পা ধুবলৈ ঘৰা-ঘৰি যায়। এইদৰে দৰাৰ ঘৰতো পানী তোলা, গাঁঠিয়ন খুন্দা আৰু দৰা নোওৱা-ধুওৱা হয়।

কইনাৰ ঘৰত ৰাতিপুৱা যৌতুক দিবলগা বস্তুবোৰ যথা নিয়মেৰে বান্ধে। দৰাৰ ঘৰতো দৰাই ছোৱালী নিবলৈ আহোতে লগত কি কি বস্তু আনিব লাগিব আৰু কি কি ভাৰ আনিব লাগিব ইয়াৰ হিচাব কৰি বস্তুবোৰ নিয়মমতে বান্ধে। যৌতুক মানে কন্যাক পিতৃ ঘৰৰ পৰা দিয়া অত্যন্ত আৱশ্যকীয় কিছুমান সামগ্ৰীহে। অসমৰ কোনো জনগোষ্ঠীয় সমাজত সাধাৰণ অৰ্থত যৌতুক বুলিলে আমি যি বুজো তেনে যৌতুকৰ কথা নাছিল। কন্যাৰ ঘৰৰ পৰা দৰাৰ ঘৰলৈ কিবা সামগ্ৰী বা টকা-পইচা দাবী কৰাৰ পৰিৱৰ্তে সকলো জনজাতীয় সমাজতে দৰাইহে কন্যা পাবলৈ কিছুদিনৰ কাৰণে হ'লেও কন্যাৰ ঘৰত গা খাতি দিয়াৰ নিয়ম আছে। চুতীয়াসকলো এই নিয়মৰ বাহিৰত নাছিল। গতিকে যৌতুকৰ অৰ্থ দৰা ঘৰে দাবী কৰা বস্তু বা ধন-সম্পত্তি নহয়; ছোৱালীৰ নিত্যান্ত প্ৰয়োজনীয় শুবলৈ এখন বিচনা আৰু তুলি-তলিচা; বহিবলৈ পীৰা, চকী-মেজ; কাপোৰ কানি থবলৈ কাঠৰ পেৰা; ভাত খাবলৈ কাঁহী-বাটি আৰু লগত বটা-শৰাই আদিহে উপহাৰ হিচাবে ছোৱালীৰ লগত দিয়া হৈছিল। অৱশ্যে আঢ্যৱন্ত লোকসকলে শয়ন-ভোজনৰ অৰ্থে দামী আৰু শিল্পকাৰ্য খচিত সামগ্ৰী কন্যাৰ লগত দান দিছিল।

ঘাই বিয়াৰ দিনা সাধাৰণতে দিনৰ ভাগতেই দৰা-কইনা নোওৱা-ধুওৱা কৰে। নোৱাওঁতে সম্পৰ্কীয় আৰু শুভাকাংক্ষীসকলে কাপোৰ, টকা-পইচা, কাঁহী-বাটি আৰু সোণ-ৰূপৰ বস্তু উপহাৰ দিয়ে। দৰা-কইনাক নিজ নিজ ঘৰত নোওৱা-ধুওৱা শেষ কৰি বিবাহৰ সাজ পিন্ধায়। দৰাই গোৰোহা চতাই চুৰিয়া আৰু পাটৰ দীঘল হাতৰ চোলা পিন্ধে। লগতে গুটিফুল বছা গাড়ি দিয়া তিনিকঠীয়া চেলেং এখন গাত মেৰিয়াই দিয়ে। কোনো কোনো অঞ্চলত মূৰত চেলেং কাপোৰৰ পাগুৰি এটা মাৰি পাগুৰিৰ ওপৰত এডাল ফুলৰ মালা মেৰিয়াই দিয়ে। কইনাৰ ঘৰলৈ যাত্ৰা কৰাৰ আগে আগে দৰাই ৰাইজৰ আশীৰ্বাদ লয়। ৰভাতলত ঢোলে-দগৰে, নামে-গুণে গিজ-গিজাই থাকে। সকলোবিলাক



সাজু হোৱাৰ পাছত একেবাৰে আগত ঢুলীয়া আৰু তাৰ পিছত ক্ৰমান্বয়ে ডেকা-গাভৰুসকল, হাতীত দৰা আৰু দৰাৰ সখিয়েক, তাৰ পিছত ভাৰলোৱাসকলে ভাৰ (থুকীয়া তামোল-পাণৰ ভাৰ, চৈদিয়া ভাৰ, সাঙ্গি ভাৰ) লৈ যায়। দূৰণিবটীয়া হ'লে চৈ দিয়া গৰু-গাড়ীত বুঢ়া-বুঢ়ীসকল যায়। দৰাৰ লগত যাঠি আৰু দা এখন নিয়ে। কইনা ঘৰত মূল ভকতক দিবৰ বাবে হাঁহ-কণী এটা, পুঠি মাছ, লাউ-বেঙেনা আদি বান্ধি এখন সাঙ্গি ভাৰ আনে। দৰা যিবিলাক মানুহৰ ঘৰৰ আগেদি আহে, সেই ঘৰৰ গৃহস্থই তামোল-পাণৰ শৰাই দি আদৰে। সেইমতে দৰাৰ ঘৰৰ মানুহেও তামোল-পাণৰ মাননি দিয়ে। গৰখীয়া ল'ৰাই দৰাক বাটত আগচি দুই এটা প্ৰশ্ন সোধে। দৰাই ইয়াৰ উত্তৰ দিয়ে আৰু তামোল-পাণসহ সামান্য অৰিহণা দি মাননি আগবঢ়ায়। তাৰ পিছত গৰখীয়া ল'ৰাই বাট এৰি দিয়ে। এইদৰে গোটেই বাট ৰং-ৰহইচ কৰি বৰযাত্ৰী কইনাঘৰৰ পদূলিমুখত ৰয়গৈ।

ইফালে কইনা ঘৰৰ ৰভাতলত দৰা-কইনা লগ্ন কৰি কন্যা উলিয়াই দিবলৈ খোলা এখন পাতে। ধৰ্মীয় নিয়মেৰে খোলাত তামোল-পাণৰ শৰাই আৰু চাউল আদিৰে শাল পাতি মূল ভকতৰ সৈতে বুঢ়া ভকতসকল তাৰ কাষতে বহি থাকে। কইনাকো দৰাৰ ঘৰৰ পৰা দিয়া কাপোৰ কানি, আ-অলঙ্কাৰেৰে সজাই-পৰাই দৰা আহি পোৱাৰ অপেক্ষাত বহুৱাই ৰাখে। দৰা আদৰিবলৈ নঙলা মুখত দুফালে দুটা কল পুলি পুতি তাত আমপাত, কপাহৰ জোলা, ধানৰ ঠোক, ফুল আদিৰে গঁঠা এডাল মালা দুকাষে থকা কলপুলি দুটাত আঁৰি থোৱা থাকে। তাৰ তলত এখন চামৰ পীৰা থোৱা হয়। দৰাক আনি চামৰ পীৰাত থিয় কৰায়। কাষতে আন এখন পীৰাত চাটিলৈ দৰাৰ সখিয়েক থিয় হৈ থাকে। সেই সময়তে কইনা ঘৰৰ বুঢ়ী, বোৱাৰী, জীয়ৰীসকলে কইনাৰ মাকক লৈ ঢোলে-দগৰে দৰাৰ আগত আঁৰ কাপোৰ দি দৰাৰ কাষেদি সুৰাগুৰি তুলিবলৈ যায় আৰু সেই বাটেৰেই ভিতৰলৈ ঘূৰি আহে। ইয়াৰ পিছত দৰাক কইনাৰ ভনীয়েকে চামৰ পীৰাত ভৰি ধোৱায়। ভৰি ধুওৱাৰ বাবদ দৰাই অৰিহণা দিয়ে। ইয়াৰ পিছত কন্যাৰ মাকে আগতে সজাই থোৱা এখন কাঁহৰ কাঁহীত কেঁচা পিঠাগুড়িৰ চাৰিটা মিঠৈ আৰু চাৰিখন তামোল-পাণ লগতে আমসাৰ দিবলৈ সৰু মাটিৰ বা কাঁহ-পিটলৰ টেকেলিত দৈ, আম পাত আৰু এগজ চাকি জ্বলাই লৈ দৰাক আদৰেহি। এটা এটাকৈ চাৰিটা মিঠৈ দৰাৰ মুখৰ ওচৰলৈ নি পূব, পশ্চিম, উত্তৰ, দক্ষিণ চাৰিটা দিশলৈ দলিয়াই দিয়া হয়। তেনেকৈয়ে থোৰিয়া তামোলকেইখনো মুখত একামোৰকৈ মাৰি চাৰিওফালে দলিয়াই দিয়া হয়। তাৰ পিছত আমসাৰ দিয়ে। আমসাৰ দিয়াৰ পিছত কন্যাৰ মাকে দৰাক দাঙি ধৰাৰ নিচিনা কৰে আৰু মূৰে-কপালে হাত ফুৰাই দুগালে দুটা চুমা খায়। শব্দ কৰি চুমা নাখালে ওচৰত বৈ থকা আই-বাই আৰু ডেকা-গাভৰুসকলে বৰ হুলস্থূল কৰে। মুঠতে কন্যাৰ মাকে দৰাক আদৰা অনুষ্ঠানটো আনন্দ মুখৰ হৈ পৰে। কন্যাৰ মাকে দৰা আদৰোতে কোনো উপহাৰ নিদিয়ে।

ইয়াৰ পিছত কন্যাৰ ককায়েক, মোমায়েক, দেউতাক, বৰদেউতাক, খুড়াক আদি সকলোৰে গামোচা সোণৰ আঙঠি আদি যথাযোগ্য উপহাৰ দি দৰা আদৰে। এই গোটেই সময়ছোৱাত দৰা-কন্যা উভয় পক্ষৰ পৰা চাউল চটিওৱা হয় আৰু উপলক্ষৰ লগত খাপ খোৱাকৈ জাউৰিয়ে জাউৰিয়ে বিয়ানাম গোৱা হয়। ইয়াৰ পিছত কন্যা পক্ষৰ কোনোবা এজনে দৰাক ডাঙি নি ৰভাৰ খোলাত বহুৱায়গৈ। তেওঁৰ লগতে দৰাৰ সখিয়েকেও আসন গ্ৰহণ কৰেগৈ। লগে লগে দৰাৰ লগত যোৱা সকলোকে কন্যা ঘৰৰ মানুহে মাতি নি ৰভাৰ তলত বহুৱায়গৈ। ইয়াৰ পিছত দৰা-কইনা উভয়পক্ষৰ বাপেক দুজনে তামোল-পাণ শৰাই আগবঢ়াই ৰাইজৰ ওচৰত সেৱা জনায়। লগতে উভয়পক্ষৰ ঢুলীয়াসকলকো ৰং-ৰহইচ কৰিবৰ কাৰণে আজ্ঞা দিয়ে। উভয় পক্ষৰ ঢুলীয়াই আজ্ঞা পোৱাৰ পিছত ঢোলৰ বিভিন্ন খেল, মালিতা আদি মাতি ঢোল বজায়। আনফালে দৰা-কইনাৰ উভয় পক্ষৰ আয়তীসকলৰ মাজতো জাউৰিয়ে-জাউৰিয়ে বিয়া নামৰ প্ৰতিযোগিতা চলে। ৰভাৰ খোলাত মূল ভকতৰ কামখিনি সাজু হোৱাৰ পিছত কইনাক ৰভা খোলালৈ আনিবলৈ ভকতে আজ্ঞা দিয়ে। দৰাৰ ভায়েকে সমনীয়াৰ সৈতে ভিতৰত কইনা বহি থকা ঠাইত তামোল-পাণৰ মাননি দি কইনাক ৰভা তলৰ খোলালৈ মাতেগৈ। দৰাৰ ভায়েকক বিভিন্ন হাঁহি উঠা প্ৰশ্ন কৰি কন্যাৰ লগত থকা বান্ধৱী আৰু আয়তীসকলে ব্যতিবস্ত কৰি আনন্দ কৰে। এই আনন্দৰ পৰিবেশতে কন্যাক ককায়েকে লগ্ন খোলালৈ দাঙি লৈ আহে। কন্যা আহি পোৱাৰ লগে লগে উৰুলি দিয়ে। এনেতে দৰাক থিয় হ'বলৈ কয় আৰু দৰা-কইনা দেখা-দেখি নহ'বলৈ এখন আঁৰ কাপোৰ মেলি দি ধৰি থাকে। কইনা দৰাৰ ওচৰত থিয় হয়। তাৰ পিছত দৰা-কইনাৰ মাজত তিনিবাৰ কনাই সলনা-সলনি কৰে। কনাই সলোৱা শেষ হ'লে আঁৰ-কাপোৰ গুচাই দিয়ে আৰু দৰা-কইনা নিজ নিজ আসনত বহে। হোম-যজ্ঞ কৰা বিয়া হ'লে আমন্ত্ৰিত ব্ৰাহ্মণজনে যথা ৰীতিৰে হোম-যজ্ঞ কৰি দৰা-কইনাক এখন কাপোৰেৰে যুতি দি হোমৰ জুই প্ৰদক্ষিণ কৰিবলৈ দিয়ে। আনহাতে ব্ৰাহ্মণ নথকা বিয়াত আমন্ত্ৰিত ভকতসকলে দৰা-কইনাক সেইদৰে যুতি দি আশীৰ্বাদ দিয়াৰ পিছত দুয়োকে যুতি থোৱা চেলেংখন খুলি দিয়ে। এই নিয়ম কৰাৰ পিছত উপস্থিত ভকতসকলে দৰা-কইনাৰ অভিভাৱকৰ উপস্থিতিত দুয়োকে সাংসাৰিক জীৱনৰ বিষয়ে প্ৰয়োজনীয় বুজনি দি পুনৰ আশীৰ্বাদ দিয়ে।

ইয়াৰ পিছতে লগ্ন থলিত কড়ি যোল্লটা লৈ দৰা-কইনাক কড়ি খেলিবলৈ দিয়ে। খেলত কোন হাৰিল, কোন জিকিল, তাকে লৈ ডেকা-গাভৰুহঁতে নাচ-বাগ, হাই-উৰুমি কৰি ৰং-ৰহইচ কৰে। ইয়াৰ পিছত এটা পাচিত বৰা ধানৰ আখৈ, লগ্ন খোলাত থোৱা হয়। দৰা-কইনা থিয় হৈ আখৈ পাচিৰ চাৰিওফালে পাঁচ পাক ঘূৰি পাঁচ কাঁজলি আখৈ আনিব লাগে। বাটিৰে আখৈখিনি জোখে, যাৰ বেছি হয়, সিয়েই জিকে। ডেকা-গাভৰুৱে ইয়াকে লৈ কিৰিলি পাৰি ৰং-ৰহইচ কৰে।



ইয়াৰ পিছত মোমায়েকে মোমাই টেকেলি ধৰে। মূল ভকতে শ্লোক মাতি মোমায়েকে কান্ধত লোৱা টেকেলিৰ পৰা আম পাতেৰে যৌতুকত দিয়া বস্তুখিনি লৈ পানী ছটিয়াই যৌতুকীয়া বস্তুবোৰ পৱিত্ৰ কৰি ৰাইজৰ সাক্ষাতে চমজাই দিয়ে। পূৰ্বতে মোমায়েকে গাই-গৰু যৌতুকত দিয়াটো এটা নিয়ম আছিল। ইয়াৰ পিছত দৰা-কইনাৰ দুয়োৰে বাপেকে দৰা-কইনাক ভকত সেৱা কৰাই আশীৰ্বাদ লোৱাই ভিতৰলৈ নিবলৈ আজ্ঞা দিয়ে। ঘৰৰ দুৱাৰমুখত দুকাষে দুটা টেকেলিত পানী ভৰাই সোঁহাতৰ টেকেলিত সোণৰ মণি এধাৰ বা আঙুঠি এটা থোৱা হয় আৰু বাঁওফালৰ টেকেলিত কটাৰী এখন ভৰাই থোৱা হয়। দৰা-কইনা সোমাই যাওঁতে দৰাই মণিধাৰ বা আঙঠিটো আৰু কইনাই কটাৰীখন উলিয়াই নি ভিতৰৰ খোলাত বহে। ইয়াতে তেওঁলোকক দুটা বান বাতিক উপচি পৰাকৈ পৰমান দেখুওৱা হয়। এই পূৰ্ণ পাত্ৰৰে তেওঁলোকৰ গোটেই জীৱন শষ্য আৰু ধন সম্পত্তিৰে নদন-বদন হৈ থাকিব বুলি কামনা কৰা হয়। পূৰ্ণ পাত্ৰ দৰ্শন কৰাৰ পিছত দৰাই মণিধাৰ বা আঙুঠিটো কইনাক পিন্ধায় আৰু কইনাই কটাৰীখন দৰাক দিয়ে। দোণমূৰীয়াকৈ চাউল এখৰাহী দৰা-কইনাৰ আগত থাকে। তাতে তিনিবাৰ দৰা-কইনাই আঙঠি লুকুওৱা খেল খেলে। এই খেল শেষ হোৱাৰ পিছত এখন কাঁহৰ কাঁহীত দুটা বাটি থৈ দৰাক তিনিবাৰ আৰু কইনাকো তিনিবাৰ বাটিকেইটা কাঁহীত ঘূৰাবলৈ দিয়ে। ঘূৰাওঁতে যদি বাটি দুটা খুন্দা লাগে তেতিয়া দৰা কন্যাই বৈবাহিক জীৱনত কাজিয়া লাগিব বুলি কয়। অৱশ্যে, সেইটো কোনো ধৰ্মীয় বিশ্বাস নহয়, এটা সাধাৰণ ধেমালিহে। এই দুয়োটা খেলতে উপস্থিত থকা ডেকা-গাভৰুহঁতে দৰা-কইনাক বিভিন্ন প্ৰশ্ন কৰি ৰং-ৰহইচ কৰে। ইয়াৰ পিছত দৰা-কইনাই কইনাৰ মাক-দেউতাকক সেৱা কৰে। দৰাঘৰৰ মানুহে কইনাৰ ঘৰৰ কাক কাক কি মান ধৰিব লাগে, সেইমতেই দালি-খৰাহী এটাত মানবিলাক ভৰাই থয় আৰু তাৰ পৰা মানবোৰ নি তামোল-পাণৰ সৈতে শৰাই এখনত লৈ মান ধৰে। এই কাম বিলাক শেষ হোৱাৰ পিছত ককায়েকে দৰা-কইনাক উলিয়াই দিয়ে। দৰা-কইনা ওলাই আহি ভঁৰালৰ আগত চাউল ছটিয়াই নঙলা মুখলৈ ওলাই যায়। যাওঁতে ঘৰৰ ফালে কইনাই এবাৰ ঘূৰি চাই যোৱাতো নিয়ম।

দৰাঘৰীয়াই চৈদিয়া গৰু-গাড়ীত বা দোলাত কইনাক লৈ গৈ দৰা ঘৰৰ নঙলা মুখত ৰৈ থাকে। দৰাৰ মাক আহি আদৰি দৰা-কইনাৰ কাপোৰত ধৰি ঘৰৰ ভিতৰলৈ নিয়ে। ভিতৰলৈ নিওঁতে দুৱাৰ মুখত দুফালে দুটা কলহ থাকে। তাৰে এটাত সম্পূৰ্ণ মুখলৈকে চাউল, তাৰ ওপৰত এটা তামোল-পাণ, আনটো কলহত মুখলৈকে পানী আৰু মুখত আমডালি, কলহটোৰ ভিতৰত সোণৰ আঙঠি বা সোণৰ মণি এধাৰ থাকে। দুৱাৰমুখত কইনা আগত যায়। কইনাই সোঁহাতেৰে পানী কলহত হাত ভৰাই সোণৰ বস্তুপদ উলিয়াই আনে। তাৰ পিছত ৰান্ধনি ঘৰত পূৰ্ণ পাত্ৰ দেখুৱাই দৰাৰ মাকে কইনাক 'ভাতে জুৰিবনে নাই' বুলি তিনিবাৰ সোধে আৰু কইনাই 'জুৰিব' বুলি তিনিওবাৰ উত্তৰ

দিয়ে। তাৰ পিছত কইনাক কইনাৰ কোঠাত বহুৱাই দৰা ঘৰৰ ফালৰ কোনে কি মান পায়, সেইমতে মান ধৰায়। কন্যা থবলৈ সাধাৰণতে কন্যাৰ ককায়েক, আৰু মোমায়েক আৰু লগতে সমন্ধিয়া দুই এগৰাকী মহিলাও আহে। তেওঁলোকে দৰাৰ কোঠাত বিচনা আদি যৌতুকীয়া বস্তুবোৰ ঠিক-ঠাক কৰি দি দৰাৰ ঘৰত ভাত-পানী খাই ঘূৰি আহে।

কন্যাৰ মাকৰ ঘৰ ওচৰ হ'লে মান ধৰা পৰ্ব শেষ হোৱাৰ পিছত কন্যাক মাক-বাপেকৰ ঘৰলৈ লৈ আহে আৰু বিয়াৰ তৃতীয় দিনা পুনৰ দৰা ঘৰত নি কন্যা ঘৰৰ মানুহে থৈ আহেগৈ। কন্যাৰ ঘৰ দূৰণিবটীয়া হ'লে কন্যা দৰা ঘৰতে থাকে। সেই ক্ষেত্ৰত সেই ৰাতিটো কন্যাই শাহুৱেকৰ লগত শুৱাৰ নিয়ম। বিবাহৰ তৃতীয় দিনা (যিটো ফুলশয্যাৰ দিন বুলি কয়), সেইদিনা সন্ধিয়া খুবাখুবনি অনুষ্ঠান পাতে। ইয়াৰ আগতে দৰা-কইনাই একেলগে ঢেঁকী দিয়ে। খুবাখুবী অনুষ্ঠান চলি থকা অৱস্থাতো ডেকা-গাভৰুহঁতে বিভিন্ন প্ৰকাৰে ৰং-ৰহইচ কৰে। সেইদিনা ৰাতি খুবাখুবীৰ ভোজ দিয়া হয়। দৰা ঘৰৰ মিতিৰ-কুটুমৰ বাহিৰেও বিয়াৰ কামত যিসকলে দেহেকেহে খাতি দিছিল তেওঁলোকক আৰু লগতে কন্যাৰ ঘৰৰ দুই-চাৰিজন বিশেষকৈ কন্যাৰ ককায়েক, ভায়েক আৰু মোমায়েকক নিমন্ত্ৰণ কৰে। বিয়াৰ অষ্টম দিনৰ দিনা দৰা-কন্যাই কন্যাৰ ঘৰত ভোজন কৰিবলৈ আহে। এই অনুষ্ঠানক আঠমঙলা বুলিও কোৱা হয়। আহোঁতে হঁহৰ ভাৰ-ভেটি লৈ আহে। সেই ভোজনত কমেও আঠখন তৰ্কাৰী ৰান্ধিব লাগে। ভোজনৰ শেষত দৰা-কইনা নিজ ঘৰলৈ উলটি যায়। কিন্তু দূৰণিবটীয়া হ'লে ৰাতিটোৰ কাৰণে কন্যাৰ ঘৰত দৰা থাকি যায়। আঠমঙলা অনুষ্ঠানকে কন্যাৰ ঘৰ উঠা বুলিও কয়। আঠমঙলা খাবলৈ আহোঁতে কন্যাৰ ভায়েক-ভনীয়েকলৈ দৰাই একোযোৰ সাজ লৈ অহাৰ নিয়ম। তিনি দিন বা এসপ্তাহৰ মূৰত দৰাৰ মাক-বাপেকেও কন্যাৰ ঘৰত মিতিৰ খাবলৈ যায়। ইয়াতে বৰ বিয়াৰ পৰ্ব শেষ হয়।

পলাই যোৱা, ফুচুলাই নিয়া, ধৰি নিয়া বিয়াৰ ক্ষেত্ৰত ল'ৰাৰ বাপেকে তিনি দিনৰ দিনা গাঁৱৰ বুঢ়া-মেথা কেইজনমান লৈ ছোৱালীৰ ঘৰলৈ গৈ তামোল-পাণৰ শৰাই দি পুতেকে কৰা অপৰাধ ক্ষেমিবলৈ ছোৱালীৰ মাক-বাপেকক অনুৰোধ কৰে; লগতে কয়, 'আপুনিও ছোৱালীক এনেকৈ যাবলৈ কোৱা নাই আৰু মইয়ো ল'ৰাক এনেকৈ নিবলৈ কোৱা নাই, এতিয়া ল'ৰা ছোৱালীয়ে অপৰাধ কৰিলে সিহঁতক ক্ষমা কৰি আমিবোৰে অহা-যোৱা কৰি মিতিৰ পতাটোহে ভাল হ'ব বুলি ভাবিছোঁ'। ছোৱালীৰ মাক-বাপেকেও মিতিৰ হ'বলৈ ইচ্ছা কৰি ব্যক্ত কৰে, 'এৰা ল'ৰা-ছোৱালীয়ে যি কৰিলে, কৰিলে আৰু আমিবোৰে অহা-যোৱা কৰি চলাহে ভাল'। ইয়াতে শৰাই ভাঙি দুয়োঘৰ মানুহ মিতিৰ হয়।

দিন বিয়া, ভোজ খুৱাই নিয়া বিয়া, আশীৰ্বাদ দি নিয়া বিয়া, যোৰণ দি বা মালা পিন্ধাই নিয়া বিয়া আদি এই বিয়াবোৰত দিনতে ল'ৰা আহি দিনটোৰ ভিতৰতে ছোৱালী



লৈ যায়। এনে বিয়াবিলাকত বৰ বিয়াৰ দৰে সিমানবোৰ নীতি-নিয়ম পালন কৰা নহয় আৰু বৰ বিয়াৰ দৰে পানী তোলাও নহয়। যোৰণ দিয়া আৰু 'সুৱা গুৰি' তোলা আদি নিয়মবিলাক কোনোবই কৰে, কোনোবাই নকৰে, গাঁঠিয়ন খুন্দা নহয়। দৰা আদৰি ৰভা-তলত বিয়া খোলাত বহুৱাই দৰা-কইনাক বৰ বিয়াৰ দৰেই নিয়মখিনি কৰি বিয়া পাতি দিয়ে। ইয়াত মোমাই টেকেলিও' ধৰা নহয়। ইয়াত দৰা-কইনাক ভিতৰলৈ নি সামান্য নিয়ম কেইটামান কৰাই সাঁজ লগাৰ আগে আগে ছোৱালী উলিয়াই দিয়ে। এই পদ্ধতিৰে পতা বিয়া বিলাকতো নোওৱা ধুওৱা সখি থাকে।

## দেউ কুবেৰ উৎসৱ

চুতীয়াসকলে পূৰ্বতে ফাগুন মাহৰ কৃষ্ণ চতুৰ্দশীৰ তিথিত কুবেৰ যজ্ঞ অনুষ্ঠান কৰিছিল। সেই পৰম্পৰা এতিয়াও বহুতো চুতীয়া গাঁৱত প্ৰচলন হৈ আছে। দেউকুবেৰৰ উপাসনা কৰি বীৰবৰৰ পত্নী ৰূপৱতীয়ে পুত্ৰ লাভৰ আশীৰ্বাদ পাইছিল। সেইদৰে বীৰবৰেও কুবেৰৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ তেওঁলোকৰ যজ্ঞস্থলিৰ গছৰ তলত খান্দি বহুত ধন, সোণ, এখন ঢাল, এখন তাৰোৱাল আৰু এটা সোণৰ মেকুৰী পাইছিল। সেই সম্পদ ঘৰলৈ আনি বেদীত স্থাপন কৰি পতি-পত্নী দুয়ো ধূপ বন্তি জ্বলাই সেৱা অৰ্চনা কৰিছিল। তাৰ ফলতে শক্তিশালী হৈ বীৰবৰৰ ৰাজ্য লাভ হৈছিল। বীৰবৰৰ পুত্ৰ গৌৰীনাৰায়ণেও এই কুবেৰ দত্ত ঢাল তৰোৱাল লৈ যুদ্ধ যাত্ৰা কৰি যি ফালেই যায় সেই ফালেই জয়ী হৈছিল আৰু এখন বিশাল চুতীয়া ৰাজ্যৰ অধিকাৰী হৈছিল। এয়া ঐতিহাসিক সত্য।

বীৰবৰ বা বীৰপালে পুত্ৰ পৌত্ৰাদিক্ৰমে এই কুবেৰ দত্ত সম্পদ কেইটাৰ সেৱা অৰ্চনা কৰিছিল। চুতীয়া জাতিৰ সৌভাগ্য আৰু সমৃদ্ধিৰ প্ৰতীক এই সম্পদ কেইটা মাঘ মাহৰ শুক্লা পূৰ্ণিমা তিথিত প্ৰতিবছৰে একোবাৰ ৰাজহুৱা ভাবে সকলো প্ৰজাকে প্ৰদৰ্শন কৰি আনন্দ উৎসৱ কৰিছিল। এই সম্পদ প্ৰদৰ্শন কৰি প্ৰজাই আনন্দ পোৱাৰ উপৰিও ইয়াৰ দ্বাৰা ৰজা-প্ৰজা উভয়ে সুখ, সমৃদ্ধি আৰু শান্তি কামনা কৰিছিল। কৃষি কাৰ্যত মঙ্গল হ'ব বুলি বিশ্বাস কৰিছিল। প্ৰজাসকলৰ কোনো কোনোৱেও এই উৎসৱ কৰি নিজৰ ব্যক্তিগত মঙ্গল কামনা কৰিছিল। এয়ে দেউকুবেৰ উৎসৱ। পিছৰ যুগত কুবেৰ যজ্ঞৰ স্থান লৈছিল দেউ কুবেৰ উৎসৱে।

চুতীয়াৰ শেষ ৰাণী বীৰাঙ্গনা সতী সাধনীয়ে আহোমৰ হাতত আত্ম সমৰ্পণ নকৰি সেই সম্পদ বুকুত লৈ চন্দনগিৰি পৰ্বতৰ পৰা তলৰ কুণ্ডত জপিয়াই পৰি নিজৰ আৰু সেই সম্পদৰ পৱিত্ৰতা ৰক্ষা কৰিছিল। তাৰ ফলত সেই সম্পদ চিৰদিনৰ বাবে চুতীয়া জাতিৰ মাজৰ পৰা অন্তৰ্হিত হৈছিল। কিন্তু চুতীয়া মানুহৰ বাবে সেই কুবেৰ দত্ত সম্পদ আজিও জাতিৰ গৌৰৱ আৰু সৌভাগ্যৰ প্ৰতীক। আজিও চুতীয়া জাতিয়ে সেই

সম্পদ কেইটাক অন্তৰৰ মাজত অতি উচ্চ আসন দিয়ে।

প্ৰবাদ আছে যে ৰজা নীতিপালৰ অৱহেলা আৰু আহোমৰ লগত ৰণত লিপ্ত থাকিবলগীয়া হোৱাত সেই বছৰ দেউকুবেৰ উৎসৱ নিয়মমতে পালন কৰিব নোৱাৰা বাবেহে চুতীয়া ৰাজ্যৰ পতন হ'বলৈ পালে।

**উৎসৱৰ বিধি :** সামান্য ওখকৈ বা মাটিৰ সমানত এখন বেদী প্ৰস্তুত কৰি তাৰ ওপৰত পিঠা গুৰিৰে পদুম ফুলৰ আকৃতিৰ মৰল সাজি তাৰ ওপৰত এখন শৰাইত বা তেনে কোনো ডাঙৰ আধাৰত সুসজ্জিত ভাবে চুতীয়া জাতিৰ ঐতিহ্যপূৰ্ণ কুবেৰদত্ত সম্পদ ঢাল, তৰোৱাল আৰু সোণৰ মেকুৰী বা মাত্ৰ কেৱল এখন তৰোৱালৰ প্ৰতিকৃতি স্থাপন কৰি এখন ফুলাম পাটৰ বা কপাহী কাপোৰেৰে ঢাকি ৰাখিব।

এই শৰাইৰ সমুখত আন এখন অলপ সৰু বেদীৰ ওপৰত অন্য এটা মৰল সাজি তাৰ ওপৰত এটা গছাৰ বা এখন থালত আগলি কলপাত দি পঞ্চ প্ৰদীপ সজাব।

উৎসৱৰ আৰম্ভনীতে আগতে নিৰ্দিষ্ট কৰি থোৱা কোনো বয়োবৃদ্ধ পুৰুষ বা মহিলাই নিৰ্দিষ্ট আসনত বহি প্ৰথমতে ৰাইজক আৰু পিছত বেদীত সেৱা জনাই বন্দনা স্তুতি পাঠ কৰিব।

বন্দনা স্তুতি -
শ্ৰীকৃষ্ণায়, গোপালায়, ৰুক্মিনী বল্লভায় চ বনমালীনে
ব্ৰজাঙ্গনানাং হৃদয় হাৰীনে, বিশ্বৰূপায় চ নমঃ।
নমস্তাভ্যং জগৎ কাৰণায়, বংশীবদনায় চ
গোবিন্দায় নমো নমঃ।
সৰ্ব্বজন মঙ্গলায়, শুভায় চ কৃষি কৰ্ম্মণঃ
প্ৰজ্বলামি পঞ্চ প্ৰদীপমিদং দেউকুবেৰুৎসবস্য
ক্ষমস্বনঃ সৰ্ব্বাপৰাধং জগদীশ্বৰ করুণাময়,
ত্বং দেবো হৃদিস্থিতো পৰমেশ্বৰঃ।

এই স্তুতি পাঠৰ পাচত প্ৰদীপ জ্বলাব। একেবাৰে ওপৰত বা আগত প্ৰথমখন ভগবানৰ নামত, তাৰ অলপ তলত সোঁফালে দ্বিতীয়খন দেউকুবেৰৰ নামত, তাৰ অলপ তলত বাওঁফালে তৃতীয়খন পুৰণি প্ৰসিদ্ধ কুণ্ডিলৰাজ ভীষ্মকৰ নামত, তাৰ তলত সমান ভাবে সোঁফালে চতুৰ্থ আৰু বাওঁফালে পঞ্চমখন ৰজা বা ৰাজশক্তি আৰু প্ৰজা বা ৰাইজৰ নামত জ্বলাব। প্ৰদীপ জ্বলোৱা হ'লে পুনৰ আসনত বহি তলৰ উন্মোচন স্তুতি পাঠ কৰে-

নমো নমো ইষ্টদেব কুবেৰ ধনপতি
তোমাৰ চৰণে কৰো সেৱা শতকোটি।
তোমাৰ আদেশে দেৱ খান্দি যজ্ঞস্থলী
পালো ঢাল তৰোৱাল সোণৰ বিড়ালী।



ৰাজ্যৰ সম্পদ শ্ৰেষ্ঠ সবাতো অধিক
সৌভাগ্য সমৃদ্ধি আৰু জয়ৰ প্ৰতীক।
এই দৈব দৰশনে হয় সৰ্ব্ব সিদ্ধি
প্ৰজাৰ মঙ্গল হয়, হয় শস্য বৃদ্ধি।
সবাৰ কামনা সেয়ে দৈবী দৰশন
উন্মুক্ত কৰিলো আজি তাৰ আৱৰণ।
মনত আনন্দ লভি চোৱা সৰ্ব্বজনে,
হৰিধ্বনি কৰা সবে একচিত্ত মনে।

এই স্তুতি পাঠ কৰাৰ পিছত কুবেৰদত্ত সম্পদৰ ওপৰৰ কাপোৰৰ আৱৰণ আঁতৰাই দিয়া হ'ব আৰু সকলোৱে তাত পুষ্পাৰ্থ দিব। প্ৰশস্তিৰ পিছত পুনৰ আসনত বহি কুবেৰ দত্ত সম্পত্তিৰ প্ৰশস্তি পাঠ কৰা হ'ব। ইয়াৰ অন্তত চুতীয়াসকলৰ কৃষ্টিমূলক অনুষ্ঠান দেওধ্বনি নৃত্য, ঢোল বাদন, বিহু নৃত্য আদি পৰিবেশন কৰিব।

বন্তি জ্বলাওঁতে, আৱৰণ উন্মোচন কৰোতে আৰু প্ৰশস্তি পাঠৰ অন্তত হৰিধ্বনি (হৰ্ষধ্বনি) কৰিব।

ইয়াৰ পিছত প্ৰীতি ভোজন। প্ৰতি ভোজনৰ অন্তত কুবেৰদত্ত সম্পদৰ ওপৰত পুনৰ আৱৰণ দিয়াৰ লগে লগে উৎসৱৰ সামৰণি পৰিব। এই উৎসৱত মুখ্য অংশ গ্ৰহণকাৰী সকলে পৰম্পৰাগত পোচাক পিন্ধাটো বাধ্যতামূলক।

(দেউকুবেৰ উৎসৱৰ কথাখিনি সূৰ্য্যকান্ত খনিকৰ দেৱৰ দ্বাৰা ৰচিত **দেউকুবেৰ উৎসৱ** নামৰ পুস্তিকাখনৰ পৰা লোৱা হৈছে। **দেউকুবেৰ উৎসৱ**, গুৱাহাটী, ১৯৮৬ - মুখ্য সম্পাদক।)

## আসন পতা সবাহ বা তুলি-পাৰি আই সকাম

ফাগুন-চ'ত মাহত অসমত পচোৱা বতাহ বয়। এই পচোৱা বতাহে আকাশ ধূলিৰে আচন্ন কৰি পেলায়। এই দুমাহত মাজে মাজে গৰম হয় আৰু বৰষুণো দি বতৰ বাৰিষা মুখী কৰে। সেয়েহে এই সময়ছোৱাত অসমত বসন্ত ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি হয়। আদ্য শক্তি গোসাঁনীৰ দান বসন্ত আইৰে এটা ৰূপ বুলি চুতীয়াসকলে অতীজৰে পৰা বিশ্বাস কৰি আহিছে। চুতীয়াসকলৰ মতে আই সাতগৰাকী। কোনোবাজনৰ ঘৰত আই দেখা দিলে তেওঁলোকে মাৰল ঘৰত পৰিস্কাৰ ভাৱে মচা ঠাইত চাম কাঠৰ তিনিকোণীয়া আসন পাতি ন যোৰ ভীমকলৰ আগলি পাতত উপবাসে থাকি আইৰ মান সজাই আই সবাহ পাতে। ইয়াকে আসন পতা সবাহ তুলি-পাৰি আই সকাম বোলে।

কাৰোবাৰ ঘৰত কোনোজনৰ আই দেখা দিলে গোটেই ঘৰ মানুহেই জঁই পৰি

যায়। লগে লগে ঘৰত ঢেঁকী দিয়া, চিঞৰ-বাখৰ কৰা, তাঁত বোৱাকে ধৰি কিছুমান কাৰ্য সম্পূৰ্ণৰূপে বন্ধ কৰা হয়। কিছুমান বস্তু ঘৰলৈ অনা আৰু কিছুমান বস্তু খোৱা-বোৱা কৰাও নিষিদ্ধ কৰি আইৰ প্ৰতি শ্ৰদ্ধা-ভক্তি জ্ঞাপন কৰা হয়। ঘৰ-দুৱাৰ মচি-কাচি, বাৰী-ঘৰ আৰু পদূলি পৰিস্কাৰ কৰি ৰখা হয়। ঘৰৰ মূল এগৰাকী মানুহে গা-পা ধুই শুভ্ৰ বস্ত্ৰ পিন্ধি চাকি এগচ জ্বলাই লৈ আগলি কলপাত এযোৰত আগ-গুৰি কটা তামোল দুটা, পাণ দুখিলা আৰু লগতে পইচা এটা দি আইক স্তুতি-প্ৰাৰ্থনা কৰি, সুবিধা মতে সাতদিন বা নদিনৰ দিনা আই সবাহ পাতিম বুলি মনতে ভাবি, আই সুপ্ৰসন্ন হৈ, আই ওলোৱাজনক দয়া কৰি যাব লাগে বুলি প্ৰাৰ্থনা জনাই টোপোলা এটা বান্ধি যথা স্থানত থৈ দিয়ে। তাৰ পিছত আই ওলোৱাজনক পৰিস্কাৰ কাপোৰ পিন্ধাই শুই-বহি থাকিবলৈ শোৱা পাটী ঠিক কৰি দিয়ে। শোৱা পাটীত মহানিমৰ পাত ৰখা নিয়ম। সোটা-বাঢ়নি আৰু তেনে অপৰিস্কাৰ বস্তু, চোৱা হাতেৰে বা বাহী গাৰে আই ওলোৱাজনক চুব নাপায়। তেনে ভাৱে চুলে কেনেবাকৈ আই ঘাটি লাগিব পাৰে বুলি বিশ্বাস। ধূনা জ্বলাই ঘৰখন ধূনাৰ গোন্ধেৰে আমোল-মোলাই ৰাখিব লাগে। আই ওলোৱাজনৰ শোৱা-পাটীৰ ওচৰতে এগছি মিঠা তেলৰ চাকি জ্বলাই সেই চাকি গছৰ আগত এখন চামৰ তিনিকোণীয়া পীৰাত বগা কাপোৰ পাৰি তাৰ ওপৰত ঘটি এটাত পানী ভৰাই আম পাতৰ ঠালি এটা ঘটিটোত গুজি দি ঘটিটোৰ ডিঙিত এঁৱা সূতা মেৰিয়াই সেন্দুৰৰ ফোঁট দি থোৱা হয়। সেই তিনিকোণীয়া পীৰাতে আগলি কলপাত এযোৰ থৈ তাৰ ওপৰত শৰাই এখনত আগ-গুৰি কটা তামোল-পাণ এযোৰ, ধন-সোণ, মণি-মুকুতা, নতুন চেলেং কাপোৰ এখন আৰু বগা ফুল দি সজাই থয়। এই আসন আই নোযোৱালৈকে ৰখা হয়।

আই দেখা দিয়া তিনিদিনৰ দিনা আই ওলোৱাজনৰ হৈ আইক শুকনি-মাননি দিয়া হয়। গাঁৱৰ তিনিগৰীকা বৃদ্ধা বিধায়ক (এওঁলোকক গোপিনী বুলি কোৱা হয়) মাতি আই ওলোৱাজনক অন্ন আৰু শুকান খৰিচা অথবা মধু-সোলেং টেঙাৰ লগত মাগুৰ মাছ ৰান্ধি শুকনি খুৱাবলৈ গৃহস্থই সুবিধা কৰি দিয়ে। বৃদ্ধা বিধবা কেইগৰাকীয়ে এনে নিমন্ত্ৰণ পালে কেতিয়াও নোৱাৰো বুলি নকয়। এইভাগ কাম দুপৰীয়া কৰা হয়। গোপিনীকেইগৰাকীয়ে গা-পা ধুই শুদ্ধ বস্ত্ৰ পৰিধান কৰি ভাৱ-ভক্তিৰে ৰান্ধি-বাঢ়ি আগলি কলপাত এযোৰত থুৰিওৱা তামোল তিনিখন আৰু অৰিহণা দি সেই পাতযোৰতে অন্ন আৰু অন্নৰ ওপৰত শুকান খৰিচা দি ৰন্ধা মাগুৰ মাছৰ তৰকাৰীসহ এগছি চাকি জ্বলাই আইলৈ শুকনি-মাননি আগবঢ়াই দিয়ে। আয়ে ইয়াকে লৈ খাই বৈ সন্তুষ্ট হ'বলৈ ভাৱ-ভক্তিৰে গোপিনীকেইগৰাকীয়ে আইক প্ৰাৰ্থনা জনায়, 'অ' হৰি, অ' ৰাম' বুলি। ইয়াৰ পিছত শুকনি পাত সজোৱা গোপিনী গৰাকীয়ে শুকনি পাত ভাঙি সেই পাতযোৰ আই ওলোৱাজনক ভাৱ-ভক্তিৰে সেৱা জনাই খাবলৈ আগবঢ়াই দিয়ে।

আইলৈ টোপোলা বান্ধি মানস কৰা মতে সাতদিন বা নদিনৰ দিনা আইভোগ



দিবলৈ ঠিক কৰি বৃদ্ধা বিধবা গোপিনী সাতগৰাকী বা নগৰাকীক মতা হয়। এওঁলোকক চুতীয়া সমাজত আইৰ গোপিনী বুলি কোৱা হয়। আই ভোগত পুৰুষৰ স্থান নাই। গৃহস্থৰ নিমন্ত্ৰণ মতে সাঁজ লাগি ভগাৰ পাছত গোপিনীসকলে শুদ্ধ বস্ত্ৰ পৰিধান কৰি পৱিত্ৰ হৈ আহি মচি-কাচি পৰিস্কাৰকৈ ৰখা মাৰল ঘৰত আই ভোগৰ কাম আৰম্ভ কৰে। ৰাতি আই ভোগ দিয়াৰ কাৰণ হ'ল গোপিনীসকলেও নিজ নিজ ঘৰৰ চিন্তা-ভাৱনা মনৰপৰা সম্পূৰ্ণ আঁতৰাই ৰাখি মনে-প্ৰাণে আইক স্তুতি-প্ৰাৰ্থনা কৰিব লাগে। আই ভোগৰ কামবিলাক নিৰহ-নিপানীকৈ ধীৰে-স্থিৰে, ভক্তি ভাৱেৰে নকৰিলে আই ঘাটি লাগিব পাৰে বুলি বিশ্বাস। সেইকাৰণে ৰাতিটো আগত ৰাখি দিনৰ হুলস্থূলৰপৰা বিৰত থাকি নিস্তব্ধতাৰ মাজেৰে আই ভোগৰ কৰ্ম কৰা হয়। গোপিনীসকলৰ মাজৰপৰা দুগৰাকী গোপিনীক ৰান্ধি-বাঢ়ি পাত সজাবলৈ বাছি দিয়ে। এওঁলোকক গোপিনী দেউৰী বোলা হয়। এগৰাকীয়ে আসন পাতি ছখন মাননি পাত সজায় আৰু আন গৰাকীয়ে অন্ন আৰু হাঁহ-পাৰৰ মাংস ৰান্ধি তিনিখন, মুঠতে নখন মাননি পাত সজায়।

প্ৰথম গৰাকী গোপিনী দেউৰীয়ে নিৰ্দিষ্ট স্থানত আগলি কলপাত এযোৰৰ ওপৰত চাম কাঠৰ তিনিকোণীয়া পীৰা এখন থৈ তাৰ ওপৰত আগলি কলপাত এযোৰ দি তাতে আগ-গুৰি কটা তামোল-পাণ, ধন-সোণ, মণি-মুকুতা আৰু চেলেং বা খনীয়া কাপোৰ এখন দি আসন পাতে। আসনৰ বাওঁফালে এযোৰ আগলি কলপাতত থুৰিওৱা তামোল এখন আৰু অৰিহণা দি সেই পাতযোৰতে কাঁহৰ বাতি এটাত পানী আৰু বগা ফুল উপচকৈ দি সজায়। এই ভাগক জুৰণি বাতি বোলা হয়। আন এযোৰ আগলি কলপাতত আসনখনতকৈ সৰু আকাৰৰ শৰাই এখনত গোপিনী শৰাই সজোৱা হয়। এই শৰাইখনত গোপিনীসকলৰ বাবে থুৰিওৱা তামোল আৰু অৰিহনা দি আসনৰ সোঁফালে সজোৱা হয়। গোপিনী শৰাইখনৰ সোঁফালে আৰু এযোৰ আগলি কলপাতত এটা কাঁহৰ বৰ বাতিত চাউল, আগ-গুৰি কটা তামোল দুটা পাণ দুখনেৰে ভোজনি সজোৱা হয়। এই শাৰীটোৰ পিছতে মিঠাতেলৰ চাকি এগছি জ্বলোৱা হয়। এই চাকি গছৰ সোঁফালে সমান্তৰালকৈ এযোৰ আগলি কলপাতত মাহ-প্ৰসাদ, কল-কুঁহিয়াৰ, নাৰিকল, কেঁচা মিঠৈ, এখন থুৰিওৱা তামোল, দক্ষিণা ইত্যাদি দি সজোৱা হয়। এই পাতযোৰৰ সোঁফালে সমান্তৰালকৈ আৰু এযোৰ আগলি কলপাতত থুৰিওৱা তামোল পাঁচখন, অৰিহণা আৰু পৰমান্ন দি সজোৱা হয়। এইখিনি সম্পূৰ্ণ কৰি গৃহস্থক সেৱা ল'বলৈ কোৱা হয়। (আই ভোগত আই ওলোৱা জনে/কেইজনে সেৱা নলয়)। গোপিনীসকলে প্ৰথমে 'অ' হৰি, অ' ৰাম, অ' ৰাম বোলা' বুলি কয় আৰু মূল গোপিনীয়ে আইসকললৈ আগবঢ়োৱা নৈবেদ্য সমূহকে লৈ খাই সন্তুষ্ট হৈ ঘৰখনৰপৰা ৰং মনেৰে আই ওলাই যাবলৈ স্তুতি-প্ৰাৰ্থনা জনায়। এই ভাগক কেঁচা বা যোগান বোলে। ইয়াতে প্ৰথম পৰ্যয়াৰ প্ৰথম গোপিনীদেউৰীৰ কাম শেষ হয়। দ্বিতীয় পৰ্যায়ৰ শৰাই ভঙা কামখিনি একেবাৰে শেষত কৰে।

এতিয়া দ্বিতীয় গোপিনী দেউৰীগৰাকীৰ প্ৰথম কাম হ'ব অন্ন আৰু পাতি হাঁহৰ মাংস, বগা পাৰৰ মাংস, শুকান পিঠা গুড়িৰ লগত পিঁয়াজ, হালধি, মা-মচলা আদি নিদিয়াকৈ ৰান্ধি তিনিযোৰ পাত সজাই আগবঢ়াই দিয়া

**আই ভোগত হাঁহ আৰু পাৰ মৰা নিয়ম ঃ** হাঁহ আৰু পাৰ মাৰিবৰ কাৰণে দ্বিতীয়গৰাকী গোপিনী দেউৰীয়ে চাকি শলিতা জ্বলাই এযোৰ আগলি কলপাতত আগ-গুৰি কটা তামোল-পাণ এযোৰ আৰু জীৱ বধৰ মূল্য দি পাত এযোৰ ভাৰ-ভক্তিৰে আইলৈ আগবঢ়াই গোপিনীসকলক জনায়। হাঁহ, পাৰ মাৰোতাই হাঁহ, পাৰ মাৰিবলৈ নিৰ্দিষ্ট ঠাইত সাজু হৈ হাঁহ, পাৰক পানী খুৱাই লৈ মূৰৰপৰা পিঠিয়েদি পানী সানি গা ধোৱাই লয়। মূল গোপিনীয়ে জীৱ মৰা আশীৰ্বাদ দিয়ে আৰু জীৱ মাৰোতাকেইজনে জীৱ মুচৰি মাৰে। জীৱ মাৰিবলৈ লোৱা দুজনে এই অপৰাধৰপৰা মুক্ত কৰি দিবলৈ সেৱা লয়। মূল গোপিনীয়ে সেই ক্ৰমে প্ৰাৰ্থনা জনাই আশীৰ্বাদ দিয়ে। জীৱ মাৰোতা কেইজনেই হাঁহ, পাৰৰ পাখি পখিয়াই জুইত চফা কৰি আনে। যিগৰাকী গোপিনী দেউৰীয়ে জীৱ মৰা পাত সজাইছিল তেৱেঁই এই পাতযোৰ ভাঙি তামোল-পাণ গোপিনীসকলক খাবলৈ আগবঢ়াই দিয়ে।

**হাঁহ, পাৰ কুটাৰ নিয়ম ঃ** হাঁহ, পাৰ মাৰোঁতা দুজনে হাঁহ, পাৰ চফা কৰি আনি নিৰ্দিষ্ট ঠাইত কুটিবলৈ ঠিক কৰি লয়। যিকেইজনৰ কাৰণে আই ভোগ দিয়া হৈছে, মাংস কুটোটাই সেইকেইজনৰ কাৰণে হাঁহ আৰু পাৰৰ তপিনা ডাঙৰকৈ টুকুৰা কৰি কচি কচি কুটা মাংসৰ লগত থয়। কিন্তু দুজনতকৈ সৰহ হ'লে পাখিৰ গুৰিৰ ফালে মঙহৰ অংশৰপৰা ডাঙৰকৈ টুকুৰা কৰি ৰখা হয়। ইয়াকে চিন বোলে।

দ্বিতীয় গোপিনী দেউৰীগৰাকীয়ে দুকুৰা জুইত উধান পাতি একুৰা জুইত অন্ন ৰান্ধে। এই অন্নৰ চৰুত দুটা হাঁহ কণী গোটে গোটে সিজিবলৈ দিয়ে। অন্ন নমাওতে হাঁহ কণী দুটা ভাতৰপৰা উলিয়াই চোকোৰা গোচাই পাত সজোৱাত দিবলৈ থৈ দিয়ে। আন কুৰা জুইত পাতি হাঁহ আৰু পাৰ মাংস চিনেৰে সৈতে শুকান পিঠাগুৰিৰ লগত ৰান্ধে। ৰন্ধা-বঢ়া সম্পূৰ্ণ হ'লে মাংস ৰন্ধা গোপিনী দেউৰীগৰাকীয়ে চাকি-শলিতা জ্বলাই থুৰিওৱা তামোল তিনিখনকৈ আৰু অৰিহণা দি তিনিযোৰ আগলি কলপাত সজায়। এযোৰত অন্ন আৰু চিনসহ পিঠাগুৰিৰ লগত ৰন্ধা মাংসৰ আঞ্জা আৰু দ্বিতীয় যোৰত অন্ন আৰু আগতে বাকলি গুচাই থোৱা হাঁহ কণী দুটা দি সজায়। তৃতীয় যোৰত অন্ন, তাৰ ওপৰতে মাংসৰ আঞ্জা আৰু কাষত সাঁজৰ বাতি এটা থৈ তিনিযোৰ পাতৰ ওপৰত আৱৰণ দিয়ে। প্ৰথম পাতযোৰ গোসাঁনীৰ বাবে, দ্বিতীয় যোৰ পাত টেকেলা বা আলধৰাৰ বাবে আৰু তৃতীয় যোৰ পাত মৃতকৰ বাবে সজোৱা হয়। এই পাত সজোৱা কামখিনি সম্পূৰ্ণ হোৱাৰ পিছত গোপিনী আইসকলে 'অ' হৰি, অ' ৰাম' বুলি আৰম্ভ কৰি ভক্তি ভাৱে তিনিটা বা সাতটা বা নটা আই নাম দি 'অ' হৰি, অ' ৰাম' বুলি নাম সামৰে। তাৰ পিছত গৃহস্থই যাৰ হৈ আই ভোগ দিয়া হৈছে, তেওঁলোকৰ হৈ সেৱা লয়। মূল গোপিনীয়ে আশীৰ্বাদ দি



আই ভোগৰ নাম সামৰে।

ইয়াৰ পিছত দুয়োগৰাকী গোপিনীদেউৰীয়ে তেওঁলোকে সজোৱা পাতৰ নৈবেদ্যসমূহ একো একোখন আগলি কলপাতত যাৰ যাৰ হৈ আই ভোগ অৰ্চন কৰা হৈছে তেওঁলোকৰ মুখৰ আগে আগে ভাৰ-ভক্তিৰে সেৱা জনাই প্ৰত্যেককে ভাগে ভাগে খাবলৈ আগবঢ়াই দিয়ে। দ্বিতীয় গোপিনীদেউৰীয়ে তেওঁলোকলৈ বুলি পিঠাগুৰিৰ লগত ৰন্ধা চিন প্ৰত্যেককে একোটাকৈ ভগাই দিয়ে। এই কামখিনি কৰি হোৱাৰ পিছত গোপিনী দুগৰাকীয়ে ঘৰখনৰ সকলোকে বাকী নৈবেদ্যখিনি বিলাই দিয়ে আৰু নিজেও লয়। পাতসমূহ সজাই আগবঢ়াই দিওঁতে-লওঁতে যদি কিবা অপৰাধ হৈছে, সকলোবোৰ মৰিষণ কৰিবলৈ গোপিনীসকলৰ ওচৰত সেৱা জনায়। মূল গোপিনীয়ে সেই ক্ৰমে আইৰ ওচৰত প্ৰাৰ্থনা জনাই আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত যিগৰাকী ল'ৰা-ছোৱালী বা ব্যক্তিৰ আয়ে দেখা দিছে, সেইগৰাকীক সেৱা-সৎকাৰ জনাই তেওঁলোকে প্ৰথম সকামৰ পায়স আৰু তাৰ পিছত অন্ন আগবঢ়ায়। ইয়াৰ পিছতে গোপিনীদেউৰীয়ে প্ৰসাদ আৰু অন্ন খাবলৈ আজ্ঞা দিয়ে। খাই-বৈ উঠি আই গোপিনীসকলে 'অ' হৰি, অ' ৰাম' বুলি শেষৰ আশীৰ্বাদ দি গৃহস্থৰ ঘৰৰপৰা বিদায় লয়। এই নিয়মেৰে আই ভোগ দিয়াকে অঞ্চলভেদে আই সবাহ বা আসন পতা সবাহ বা তুলি পাৰি আইৰ সকাম বুলি চুতীয়াসকলে কয়।

কেঁচা পন্থীসকলে কেৱল মাহপ্ৰসাদ আৰু পায়সেৰে আই সবাহ পাতে। পকাপন্থীসকলে মাহপ্ৰসাদ আৰু পায়সৰ উপৰিও অন্ন, হাঁহ-পাৰৰ মাংস, কোনো কোনোৱে সাজ-পানীও উচৰ্গা কৰে।

আই সবাহত আইক স্তুতি কৰি ভক্তি ভাৱেৰে নাম গোৱা হয়। তাৰে কেইফাকি মান তলত উল্লেখ কৰা হ'ল -

আয়ে আহিছে আই    জগতে জানিছে আই
আই ফুৰে গুটি ফুল বাচি এ,
মনিচৰ সিৰলিত আই    আয়ে ৰহএ ঢালে আই
কাষতে ফুলৰে কৰণি এ।
উঘলা বিৰিষক আই    আয়ে ৰুই গলে আই
আই সমান ধৰমী নাই,
নিচটি মুখতে আই    আয়ে ফুল বাচিলে আই
আই সমান ফুলন্তী নাই।
সোণৰে পখিলা আই    উৰে বাটি কাঢ়ি আই
ৰূপৰে দুখনি পাখি এ,
আই মহামায়া আই    ফুৰে ঘৰে ঘৰে আই
মনিচক তৰোগৈ বুলি এ।

# চুতীয়া জাতিৰ বুৰঞ্জী

মুখ্য সম্পাদক
**ড° স্বৰ্ণলতা বৰুৱা**
সম্পাদক
**ড° ডম্বৰুধৰ নাথ**

(Dixon)ৰ মতে, খাচীসকল প্ৰকৃততে মঙ্গোলয়দহে আৰু অতীজতে তেওঁলোকে তিব্বতো-বাৰ্মান ভাষাহে কৈছিল, কিন্তু পিছলৈ তেওঁলোকে সেই ভাষা এৰি অষ্ট্ৰিক মনখেমৰ ভাষা গ্ৰহণ কৰে। তেওঁলোকৰ এই ভাষিক পৰিৱৰ্তন অসমলৈ অহাৰ পূৰ্বে ব্ৰহ্মদেশত থকাৰ সময়তে হৈছিল।[৫৩]

আদিম অৱস্থাত নেগ্ৰিটোসকলৰ দৰে প্ৰটো-অষ্ট্ৰলয়দসকলো খাদ্য সংগ্ৰহকাৰীহে আছিল। ভাৰতবৰ্ষত থকা কালতে তেওঁলোকে কৃষি-সংস্কৃতিৰ পাতনি মেলে। তেওঁলোকে প্ৰথমে ঝুমখেতি কৰিছিল আৰু ইয়াৰ অৰ্থে টান কাঠেৰে প্ৰস্তুত চিপ্ৰাং জাতীয় সঁজুলি তৈয়াৰ কৰি তাৰে মাটি খুচৰি-খুচৰি শস্যৰ গুটি সিঁচিছিল, কিন্তু পিছলৈ তেওঁলোকে শালিখেতি কৰিবলৈ আৰম্ভ কৰে।[৫৪] ড° বাণীকান্ত কাকতিৰ মতে, জহা শব্দটো অষ্ট্ৰিক শব্দ।[৫৫] এওঁলোকে গৰু আৰু মেঠোন পুহিছিল আৰু বনৰীয়া হাতী ধৰি পোহ মনাব জানিছিল। প্ৰত্নপ্ৰস্তৰ যুগৰ বাহক হিচাপে তেওঁলোকে মৃৎশিল্প জানিছিল।

ধৰ্মৰ বিষয়ত প্ৰটো-অষ্ট্ৰলয়দসকলে টটেমিজ্‌ম (totemism) অৰ্থাৎ গোত্ৰ প্ৰতীকবাদ দৰ্শনৰ সূচনা কৰিছিল। কণীৰপৰা পৃথিৱীৰ সৃষ্টি, বিষ্ণুৰ মৎস্য-কূৰ্ম আদি অৱতাৰ, মৎস্যগন্ধা আৰু নাগ-নাগিনীৰ ধাৰণা প্ৰটো-অষ্ট্ৰলয়দসকলৰপৰা ভাৰতীয় সমাজলৈ আহে। তেওঁলোকৰ মাজত তামোল-পাণ, হালধি আৰু সেন্দুৰৰ ব্যৱহাৰ আছিল। কুৰিৰ গোটত তেওঁলোকে গণনা কৰিছিল আৰু চন্দ্ৰৰ কৃষ্ণপক্ষ আৰু শুক্লপক্ষৰ লগত সঙ্গতি ৰাখি বাৰবিলাকৰ গণনা কৰিছিল আৰু নাম দিছিল।[৫৬] তেওঁলোকৰ ভাষাটো মূলতঃ দুটা ভাগত বিভক্ত-অষ্ট্ৰনেচিয়ান আৰু অষ্ট্ৰ-এচিয়াটিক। প্ৰথমটোৰ ভিতৰত ইণ্ডোনেচিয়ান, মেলেনেছিয়ান, মাইক্ৰনেছিয়ান আৰু পলিনেছিয়ান ভাষাবোৰ পৰে। দ্বিতীয়টোৰ ভিতৰত ভাৰতবৰ্ষৰ কোল আৰু মুণ্ডা ভাষা, নিকোবৰীজ আৰু অসম-ম্যানমাৰ আৰু ইণ্ডো-চীনৰ মনখেমৰ ভাষাবিলাক পৰে।[৫৭] অসমীয়া ভাষাত খাচী ভাষাৰ বহুতো শব্দ আছে। অসমত পৰৱৰ্তী কালত মঙ্গোলীয়সকলৰ অনুপ্ৰৱেশ ঘটাত অষ্ট্ৰিক ভাষী লোকসকলে ভৈয়াম অঞ্চল এৰি পাহাৰীয়া ঠাইত থাকিবলৈ লয়। উদাহৰণস্বৰূপে, খাচীসকলে দক্ষিণ-পশ্চিমলৈ ভটিয়াই গৈ খাচীয়া পাহাৰত স্থায়ী বসতি স্থাপন কৰে। আনহাতে, তেওঁলোকৰ সমগোত্ৰীয় অন্যান্য লোকসকলে মঙ্গোলীয় ভাষা গ্ৰহণ কৰি

---

৫৩ R.B. Dixon, 'The Khasi and the Racial History of Assam', **Man in India**, 2, 1922,pp.1-13;H.K. Barpujari (ed.), **The Comprehensive History of Assam**, vol.1Guwahati, 1990,p.15.

৫৪ **The Comprehensive History of Assam**, Vol. I, p.13.

৫৫ **Assamese : Its Formation and Development**,p.28.

৫৬ **The Vedic Age**,pp.152ff.

৫৭ *ibid.*,p.155.



আৰু তেওঁলোকৰ লগত তেজৰ সংমিশ্ৰণ ঘটাই বিলীন হৈ পৰে।

**ভূমধ্যসাগৰীয়/দ্ৰাবিড় সকল ঃ** ভূমধ্যসাগৰীয়সকলৰ তিনিওটা ভাগেই সম্ভৱতঃ আদিম দ্ৰাবিড়ী ভাষা ব্যৱহাৰ কৰিছিল। সেইবাবেই এইসকলক দ্ৰাবিড়ী বুলিও কোৱা হয়। দ্ৰাবিড়ীসকল উত্তৰ-পশ্চিম গিৰিপথেদি ভাৰতত প্ৰৱেশ কৰিছিলহি। ছুমেৰীয় সভ্যতাৰ লগত দ্ৰাবিড়ী সভ্যতাৰ বহুতো মিল আছে, কাৰণ, পূব ভূমধ্যসাগৰীয় অঞ্চলতে দ্ৰাবিড়সকলৰ আদি বসতিস্থান আছিল। কিছু সংখ্যক দ্ৰাবিড় লোক ব্ৰহ্মপুত্ৰ উপত্যকাতো প্ৰৱেশ কৰিছিল। বৰ্তমান অসমৰ বণিয়া আৰু কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকল এই দ্ৰাবিড়সকলৰ বংশধৰ বুলি কোৱা হয়। পৰৱৰ্তী কালত মঙ্গোলীয়সকলৰ লগত তেওঁলোক এনেভাৱে মিলি গ'ল যে তেওঁলোকৰ সুকীয়া অস্তিত্ব প্ৰায় হেৰাই যায়। দ্ৰাবিড়ীসকলৰ সভ্যতা আছিল নগৰ কেন্দ্ৰীক। হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতাৰ বাহক আৰু স্থাপক তেওঁলোকেই আছিল। তেওঁলোকে লিঙ্গ আৰু যোনি পূজা কৰিছিল। মাতৃদেৱী আৰু শিৱ পূজাৰ পৰম্পৰা দ্ৰাবিড়ীসকলৰপৰাই ভাৰতীয় সভ্যতালৈ আহে। তেওঁলোকে নাও, জাহাজ আদি নিৰ্মাণ কৰিব জানিছিল। খেতিবাতিত তেওঁলোক পাৰ্গত আছিল আৰু যুদ্ধ-বিগ্ৰহ কৰি ভাল পাইছিল। যাঠি, তৰোৱাল আৰু ধনু-কাঁড় তেওঁলোকৰ যুদ্ধৰ প্ৰধান অস্ত্ৰ আছিল। তেওঁলোকে সূতা কটা, কাপোৰ বোৱা আৰু কাপোৰত ৰং কৰা প্ৰণালী ভালদৰে জানিছিল। মৃৎশিল্পতো তেওঁলোক পাৰ্গত আছিল। তেওঁলোক দীৰ্ঘ মস্তকীৰ লোক আছিল। তেওঁলোকৰ মূৰৰ পিছফালটো অলপ আগবঢ়া আৰু বৰণ প্ৰায় ক'লা। তেওঁলোকৰ চুলি ঘন আৰু কিছুমানৰ কেকোঁৰা। চকু ক'লা আৰু ডাঙৰ। তেওঁলোক মধ্যমীয়া উচ্চতাৰ লোক আছিল।[৫৮] তেওঁলোকৰ ভাষাটোক দ্ৰাবিড়ী বুলি জনা যায়। বৰ্তমান দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কানাড়া, মালায়ালম আদি ভাষা এই ভাষাগোষ্ঠীৰ। তেওঁলোকৰ সম্ভৱতঃ নিজা লিপিও আছিল।[৫৯]

**পশ্চিমীয়া প্ৰশস্ত মস্তকী/আলপাইনসকল ঃ** পশ্চিমীয়া প্ৰশস্ত মস্তকীসকল তিনিভাগত বিভক্ত যদিও সাধাৰণতে তেওঁলোকক আলপাইন বুলি কোৱা হয়। আৰ্যসকলৰ লগত বহুতো সাদৃশ্য থকা আলপাইন গোষ্ঠীৰ লোকসকলো আৰ্য আৰু ভূমধ্যসাগৰীয় লোকসকলৰ দৰে পশ্চিমৰপৰা ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল। ভূমধ্য সাগৰীয়সকলৰ পিছতে তেওঁলোক ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল বুলি অনুমান কৰা হয়। তেওঁলোকৰ ভাষা কি আছিল সঠিককৈ জনা নাযায়। সম্ভৱতঃ তেওঁলোকে ভাৰতত প্ৰবেশ কৰাৰ আগতে নৰ্ডিক (আৰ্য) ভাষা কৈছিল। গুজৰাট, মহাৰাষ্ট্ৰ আৰু বঙ্গদেশত

---

৫৮ R.J. Rapson (ed.) **The Cambridge History of India**, vol.i, New Delhi, 1968,p.36.

৫৯ **The Vedic Age**,pp.158ff.

৬০ S.K. Chatterjee. **Kirata-Jana-Kriti**, Calcutta, 1974, p.11.

দুখীয়াৰ ভগা ঘৰ আই দুৱাৰ নাই থৰ আই
দিবলৈ একোকে নাই এ,
মুৰৰ চুলি চিঙি আই পাৰে মলচিছো আই
জীৰ দান মাগিছো আই।
আয়ে পাও মুচে আই ফুলাম গামোচা আই
শৰাইত লাহে কৰি থোৱা এ,
অময়া আয়কে আই মাতো তুতি কৰি আই
নামতে সন্তোষ হোৱা এ। ....

## বিভিন্ন প্ৰকাৰৰ ডাঙৰীয়া সকাম

চুতীয়াসকলে বুঢ়া-ডাঙৰীয়া এজনা উপ-দেৱতা বুলি গণ্য কৰে। বুঢ়া-ডাঙৰীয়াই কাৰো অপকাৰ নকৰে বুলি বিশ্বাস কৰে। এওঁ সাধাৰণতে ডাঙৰ গছত বাস কৰে। তেওঁ থকা গছ কাটিলে বা সেই গছৰ গুৰিত সৰু পানী চুলে দোষ লাগে বুলি বিশ্বাস। মঙলতিয়ে মঙল চাই তেনে দোষ খন্দাবলৈ তেওঁৰ নামত চাউল একঠা ভকতক খুৱাবলৈ পৰামৰ্শ দিয়ে। সেই অনুসৰি তেওঁৰ বিধান মতেই বিভিন্ন প্ৰকাৰে ডাঙৰীয়া সকাম পতা হয়।

**এটিয়া চৰাইৰ বা ক'লা চৰাইৰ সকাম ঃ**

এই সকাম পাতিবলৈ ক'লা ডাকুৱা কুকুৰা এটা, বৰা বা চকোৱা চাউলৰ কড়াই গুড়ি, আখৈ আৰু সাজ লাগে। এনে সকাম ৰাতি পতা হয় আৰু এই সকামত বুঢ়া-মেথা কেইজনমানৰ প্ৰয়োজন।

**জীৰ মৰাৰ নিয়ম ঃ** এই জীৰ মৰাও নিয়ম আছে। এই সকাম পাতিবলৈ সম্পূৰ্ণ গুৰুমুখী দেউৰী লাগে। জীৰ মৰাৰ আগতে দেউৰীয়ে প্ৰথমে মাটি চাকি এগছ জ্বলাই লৈ তাৰ পিছতে এযোৰ আগলি পাত সজাই আগ-গুৰি কটা তামোল চাৰিটা, পাণ চাৰিখিলা আৰু জীৰৰ মূল্য, পচলাৰ খাৰ, শাক আৰু কাঁহৰ ডাঙৰ দুটা বৰবাটিত দুবাটি সাঁজ আগলি কলপাত যোৰৰ ওপৰত থৈ পাতযোৰ সজোৱা হয়। তাৰ পিছত দেউৰীয়ে জীৰ মাৰিবলৈ বহে। দেউৰীজনে নিজৰ সন্মুখত পাত এচিটা পাৰি তাৰ ওপৰত জীৰটো থৈ জীৰক পানী খোৱাই গাটো পানীৰে মোহাৰি গা ধোৱাই লয়। ইফালে সকামৰ মূল ভকতে জীৰ মৰা আশীৰ্বাদ দি জীৰ মাৰিবলৈ আজ্ঞা দিয়াৰ লগে লগে জীৰ মাৰোতাই জীৰটো মুচৰি মাৰে। জীৰ মৰাৰ পিছত জীৰ মাৰোটাজনে জীৰ মৰা পাপাৰপৰা মুক্তি পাবলৈ সেৱা ল'ব আৰু মূল ভকতে জীৰ মৰা পাপৰ পৰা মুক্তি দিবলৈ আশীৰ্বাদ দিব।

ৰান্ধনি দেউৰীয়ে কুকুৰা মাৰি চাফা কৰি (কুকুৰাৰ টপিনাৰ চিন থৈ) মূৰটো নুকুটাকৈ ৰাখি বাকী মাংস কুটি-বাচি কড়াই-গুড়িৰ লগত চিন (কুকুৰাৰ টপিনা) আৰু



মূৰসহ সকলো মাংস একেলগে ৰান্ধিব লাগে। দেউৰীয়ে ৰান্ধি-বাঢ়ি লৈ চাকি-শলিতা জ্বলাই ভীম কলৰ আগলি পাত এযোৰ চাকি গছৰ পিছতে সজায়। পাতযোৰৰ ওপৰত একেবাৰে আগত থুৰিওৱা তামোল চাৰিখন আৰু জীৰ মৰাৰ মূল্য দি পাতযোৰৰ ওপৰতে প্ৰথমে শুকান কড়াই গুড়ি চাৰি মুঠি দিব লাগে। তাৰ ওপৰতে চিন আৰু মূৰটো দি কিছু পৰিমাণৰ সিজোৱা কড়াই গুড়িৰ তৰকাৰি দিব লাগে। এই নৈবেদ্যখিনিৰ কাষতে সোঁ হাতে ডাঙৰ কাঁহৰ বাতি এটাত এবাতি সাজ দি পাতযোৰৰ ওপৰত কলপাতৰ আৱৰণ দিব লাগে। (ডাঙৰ কলপাত এখন কৃষ্ণৰ চক্ৰখনৰ দৰে ঘূৰণীয়াকৈ কাষ কেইটা খুপ খুপকৈ কাটি তাৰ মাজত নটা ফুটা কৰি লয়, তাকে আৱৰণ বোলে।) যাৰ হৈ কৰ্ম ভাগ পতা হয়, তেওঁ আৰু গৃহস্থই সেৱা লয়। মূল ভকতে আশীৰ্বাদ দিয়াৰ পিছত দেউৰীয়ে আগলি কলপাত এখনত আগবঢ়াই দিয়া পাতখনৰপৰা শুকান কড়াই গুড়ি, তাৰ ওপৰত চিন, কড়াই-গুড়ি তৰকাৰি আৰু সাজ এবাতি সজাই ভাৱ-ভক্তিৰে প্ৰণাম জনাই ৰোগীক খাবলৈ আগবঢ়াই দিয়ে। মূৰটো পিতৃ-মাতৃ নথকা ভকতসকলক খাবলৈ ভগাই দিয়ে।

**দুটিয়া বা ৰঙা চৰাইৰ সকাম ঃ**

ৰঙা বৰণৰ এহাল ডাঙৰ কুকুৰা মাৰি ওপৰত বৰ্ণনা কৰাৰ নিয়মেৰে ৰন্ধন-প্ৰকৰণ কৰি সকাম কৰাকে দুটিয়া চৰাই সকাম বা ৰঙা চৰাই সকাম বুলি কয়। এই সকামত জীৰ মাৰিবলৈ আৰু ৰান্ধিবলৈ দুজন দেউৰী লাগে।

**তিনিটিয়া চৰাই সকাম ঃ**

তিনিটীয়া চৰাই ডাঙৰীয়া সকামো ঠিক একে ধৰণেৰেই পতা হয়। ইয়াত ক'লা মটা হাঁহ এটা আৰু ক'লা বৰণৰ ডাঙৰ কুকুৰা এহাল লাগে। (ক'লা বৰণৰ কুকুৰা হাল বুঢ়া ডাঙৰীয়াৰ কাৰণে আৰু ক'লা হাঁহটো জলখাই ডাঙৰীয়াৰ কাৰণে বুলি কয়)। এই সকামত জীৰ মাৰিবলৈ আৰু ৰান্ধিবলৈ তিনিজন গুৰুমুখী দেউৰী লাগে।

**কুটা আৰু ৰন্ধাৰ নিয়ম ঃ** তিনিজন দেউৰীয়ে জীৰ মৰাৰ পিছত নিজ নিজ ভাগত পৰা জীৰকেইটা কুটি বাচি ৰান্ধিব লাগে। ক'লা পাতি হাঁহটো যি জনে মাৰে, তেওঁৱেই পাখি পখিয়াই চফা কৰি জুই ধৰি পুৰি কুটিব লাগিব। হাঁহটোৰ চিন থৈ তাৰ মূৰটো নুকুটাকৈ ৰাখি বাকী অংশখিনি কুটিব। চিন, মূৰ আৰু কুটা মাংস হাঁহ পোৱা জুইতে কোমোৱাৰ সৈতে ৰান্ধিব লাগিব। হাঁহ ৰান্ধিবলৈ লোৱাজনেই হাঁহ ৰন্ধাৰ আগতে ভাতও ৰান্ধিব লাগিব একেকুৰা জুইতে।

ক'লা বৰণৰ কুকুৰা যি দুজনে মাৰিব তেওঁলোকেও একে ধৰণে নিজৰ নিজৰ মৰা কুকুৰাৰ পাখি পখিয়াই কুটি বেলেগ একুৰা জুইত পুৰি চফা কৰি কুটিব লাগিব আৰু সেই জুইতে ৰান্ধিবও লাগিব। মাংস কুটোতে ইয়াৰো এটা কৈ চিন আৰু মূৰ দুটা নুকুটাকৈ ৰাখিব লাগিব। মাংস ৰান্ধোতে চিন আৰু মূৰকেইটাৰে সৈতে একেলগে ৰান্ধিব লাগিব।

**পাত সজোৱা প্ৰণালী ঃ** প্ৰথমে হাঁহ ৰন্ধা দেউৰীয়ে চাকি এগচ জ্বলাই তাৰ পিছতে

এযোৰ কল পাতত চাৰিখন থুৰিওৱা তামোল আৰু দক্ষিণা দি সেই পাতযোৰৰ ওপৰতে ভাত দি তাৰ ওপৰতে চিন হাঁহৰ মূৰটো আৰু মাংসৰ তৰকাৰি অলপ দি তাৰ ওপৰত আৱৰণ দিব। এই পাতযোৰৰ সোঁ ফালে দ্বিতীয় দেউৰীয়ে এযোৰ পাত সজাব। এই পাতযোৰৰ ওপৰত যথাস্থানত থুৰিওৱা তামোল চাৰিখন, দক্ষিণা, কড়াই গুড়ি, আখৈ দি লৈ তাৰ ওপৰত চিন দুটা আৰু মূৰ দুটা দি পাতযোৰৰ ওপৰত আৱৰণ দি দুকাষে দুবাটি সাজ দি ওপৰত আবৰণ দিব। পাত সজোৱা শেষ হ'লে যাৰ হৈ কৰ্মভাগ কৰা হৈছে তেওঁ আৰু গৃহস্থই সেৱা ল'ব। ভকতে 'জয় ৰাম বোলা, জয় হৰি বোলা' বুলি কৈ সেৱকীক মূল ভকতে আশীৰ্বাদ দিব। প্ৰথম দেউৰী আৰু দ্বিতীয় দেউৰীয়ে সজোৱা এই পাত কেইযোৰৰপৰা দেউৰীয়ে মূৰ কেইটা আঁতৰাই পাত কেইযোৰ অসুখীয়াৰ আগত ভাব-ভক্তিৰে খাবলৈ আগবঢ়াই দিব। ভকতসকলৰ আগে আগে পাত দি বাকী ৰন্ধন-প্ৰকৰণৰ বস্তুখিনি বিলাই দিব। এনে নিয়মেৰেই চুতীয়াসকলে ডাঙৰীয়া সকামবিলাক পাতে।

## কৃষি ভিত্তিক আচাৰ অনুষ্ঠান

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰো প্ৰধান জীৱিকা আছিল কৃষি আৰু এতিয়াও তেওঁলোকৰ মাজত কৃষিয়েই প্ৰধান উপজীৱ্য হৈ আছে। কৃষিজীৱী সকলো জাতি-জনজাতিৰ মাজতে কৃষিভিত্তিক বিভিন্ন আচাৰ-অনুষ্ঠান থাকে। চুতীয়াসকলৰ মাজতো তেনে বহুতো আচাৰ-অনুষ্ঠান আজিও প্ৰচলিত আছে। অৱশ্যে, অন্য জনগোষ্ঠী সমূহৰ লগত এই অনুষ্ঠানবোৰৰ যথেষ্ট মিল দেখা যায়। তৎস্বত্ত্বেও ইয়াৰ মাজত দুই-এটা নিজস্ব বৈশিষ্ট্য নথকা নহয়। এই বৈশিষ্ট্যবোৰে চুতীয়াসকলৰ প্ৰাচীন ঐতিহ্য আৰু সমাজ ব্যৱস্থাৰ আলোকপাত কৰে। তলত তেওঁলোকৰ মাজত এতিয়াও প্ৰচলিত হৈ থকা কৃষিভিত্তিক আচাৰ-অনুষ্ঠানৰ বিৱৰণ দাঙি ধৰা হ'ল।

**পানীতোলা বৰ সবাহ ঃ**

গাঁওবাসী চুতীয়াসকলে বৰষুণৰ আৰু খেতি-বাতি ভাল হোৱাৰ কামনা কৰি প্ৰতি বছৰৰ জেঠ মাহত তিনিদিনীয়াকৈ নামঘৰত বৰ সবাহ পাতে। বিশেষ অসুবিধা হ'লে আহাৰৰ সাত চুৱাৰ আগদিনাৰ ভিতৰত পাতিবই। এই সবাহ পাতিবৰ কাৰণে নামঘৰত বুঢ়া-মেথাসকল গোট খাই আলোচনা কৰি সবাহ পাতিবলৈ এটা দিন ধাৰ্য কৰে। লগতে অঙ্গ খুট্ নথকা সম্পূৰ্ণ পৰিয়াল থকা ছঘৰৰ ছজনী এঁৱা (কন্যা কালত ভৰি নিদিয়া) ছোৱালী বৰ সবাহৰ পানী তুলিবলৈ বাচি লয়। এই এঁৱা ছোৱালী কেইগৰাকীক দৈৱকী বোলে। বৰ সবাহ যিদিনা পতা হয়, তাৰ তিনিদিনৰ আগৰপৰা নীতি-নিয়ম পালি এই দৈৱকী ছজনী একে ঘৰতে ব্ৰতত থাকিব লাগে। ৰান্ধনি বেলি মাৰ যোৱাৰ



আগে আগে আৰৈ চাউলৰ ভাত আৰু সিদ্ধ শাক-পাচলিৰে দিনটোৰ শেষত এসাঁজ ভাত নিজে টৌ-খুঁটি মাৰি খাব পাৰে। বৰ সবাহৰ প্ৰথম দিনা ৰাইজ গোট খাই নামঘৰত কীৰ্ত্তন পাঠ কৰে। আয়তীসকলে দৈৱকী ছজনীক লৈ নাম গাই ঢোলে-দগৰে পানী তোলে। দৈৱকী ছজনীৰ ভিতৰৰে এজনীয়ে দুনৰী লয়। দুনৰীত ধান, কল এক আষি, তামোল-পাণ, মাটি চাকি এটা থাকে। দ্বিতীয় আৰু তৃতীয় গৰাকীয়ে মাটিৰ ঘট্ দুটা লয়। ঘট্ দুটা পানীৰে পূৰ্ণ থাকে আৰু ঘট্‌টোৰ মুখত পাতেৰে সৈতে আগ থকা আম ঠাল এটা ভৰাই লৈ ঘট্‌টোৰ ডিঙিত এঁৰা সূতা এনেচা মেৰিয়াই দিয়া হয়। চতুৰ্থ আৰু পঞ্চমগৰাকীয়ে কলপটুৱাৰ দোলা এখন কান্ধত লয়। ষষ্ঠগৰাকীয়ে এখন জাকৈ লয়। আয়তী এগৰাকীয়ে ডলা এখনত মাটি চাকি এগছ, এৰা সূতা, খৰিকা চাৰিডাল আৰু তামোল-পাণ যোগাৰ কৰি লৈ পানী তুলিবলৈ সাজু হয়। প্ৰথমদিনা পানী তোলাৰ আগতে দুনৰি, ঘট্, দোলা, জাকৈ দৈৱকী কেইগৰাকীৰ হতুৱাই মণিকূটৰ থাপনাৰ ওচৰত থোৱা হয়। নিৰ্দিষ্ট সময়ত গাঁৱৰ সকলো আহি প্ৰত্যেকেই দায়িত্ব লোৱা মতে কামবিলাক কৰে। বুঢ়া-মেথা আৰু আদহীয়া পুৰুষসকলে নামঘৰত মুখামুখিকৈ দুটা শাৰী পাতি কীৰ্ত্তন পাঠ কৰে। এই শাৰী দুটাৰ পিছতে বুঢ়ী মা, বুঢ়ী আইতাসকলে তামোল-পান কাটি ৰাইজক যোগাৰ দিয়ে। আয়তীসকলে ঢোলে-দগৰে নিৰ্দিষ্ট সময়ত নাম-গুণ গাই মণিকূটত সেৱা কৰি দৈৱকী কেইগৰাকীক দুনৰি, ঘট্, দোলা, জাকৈ এই কেইপদ মণিকূটৰপৰা ল'বলৈ দি নামঘৰৰ বাহিৰলৈ ওলাই গৈ নামঘৰৰ দুৱাৰমুখত মণিকূটলৈ চাই সকলো আয়তীয়ে সেৱা জনাই তিনিবাৰ উৰুলি দি পুখুৰীত, নদীত বা বিলত পানী তুলিবলৈ যায়। ঢুলীয়াই ঢোলত লেহেতীয়া পানী তোলা চেওৰ ঘাট মাৰি গহীন-গম্ভীৰ খোজেৰে আগবাঢ়ে। তেওঁলোকৰ পিছতে ল'ৰা-লুৰিবিলাক আৰু তেওঁলোকৰ পিছতে আয়তীসকলেও লেহেতীয়া সুৰেৰে পানী তোলা নাম গাই দুনৰি লোৱাজনী আগত দি তাৰ পিছত আন দৈৱকী কেইগৰাকী, তাৰ পিছত আয়তীসকল পিছে পিছে আগবাঢ়ি যায়। কোনোবা পুখুৰী, খাল বা বিলৰ পানী যুৰঁলিত ডলাত নিয়া চাকিগছ জ্বলাই মাটিৰে চাৰিটা ঢিপ বনাই খৰিকা চাৰিডাল পুতি এঁৰা সূতাৰে মেৰিয়াই তাৰ মাজতে তামোল-পাণ দি সেৱা জনাই লৈ জাকৈৰে তিনি চাব মাৰি জাকৈত যি উঠে, তাকে কলপটুৱাৰ দোলাত ভৰাই লয়। তাৰ পিছত মাটিৰ ঢিপটো হাতেৰে চোচা মাৰি পানীলৈ ঠেলা মাৰি পেলোৱাৰ পিছত পানী কাটি ঘট্ লোৱা দৈৱকীগৰাকীয়ে ঘট্‌ৰ পানী সলাই লৈ ঢোলে-দগৰে পানী তুলিবলৈ যোৱাৰ দৰে নামঘৰলৈ ঘূৰি আহি প্ৰথমে নামঘৰৰ সন্মুখত থকা বৰগছ বা আঁহত গছৰ গুৰিত তিনিবাৰ উৰুলি দি ঘটকেইটাৰপৰা অলপ অলপ পানী ঢালি আমঠালিৰে গছৰ আগলৈ পানী ছটিয়াই লৈ নামঘৰৰ দুৱাৰমুখত মণিকূটলৈ চাই সেৱা জনাই তিনিবাৰ উৰুলি দি নামঘৰৰ চাৰিওফালে এইদৰে তিনিপাক ঘূৰে। প্ৰতি বাৰতে নামঘৰৰ দুৱাৰ মুখত থকা টুপলৈ তিনিবাৰ দুনৰিৰ পৰা ধান ছটিয়াই আৰু

তিনিবাৰ উৰুলি দি এইদৰে আয়তীসকলে বৰ সবাহৰ পানী তোলা নাম গাই গাই তিনিপাক ঘূৰাৰ পিছত মণিকূটলৈ চাই সেৱা জনাই উৰুলি দি নামঘৰৰ ভিতৰলৈ গৈ দুনৰি, ঘট্, দোলা, জাকৈ এইকেইপদ পুনৰ মণিকূটত থৈ দিয়ে। এইদৰে তিনিদিন পানী তোলা হয় আৰু প্ৰতি দিনেই কীৰ্ত্তন পাঠ কৰা হয়। তৃতীয় দিনা পাঠকে আহি মুখা-মুখিকৈ বহা দুশাৰী মানুহৰ প্ৰতি শাৰীৰ পিছফালে থকা দুহাতমান বাটটোত চং ভাও দি বহুৱা ওলাই মুদ্ৰা দি প্ৰথমে কীৰ্ত্তনৰ প্ৰথম পদটো দি লৈ হৰিচন্দ্ৰ উপাখ্যান, দাতা কৰ্ণ, পৃথিৱীৰ প্ৰলয় আৰু জন্মকাহিনী আদিৰ পদ আৰু নামেৰে জোঁৰাৱ তোলে।

এই সবাহত মাহ-প্ৰসাদ, কল, কুঁহিয়াৰৰ উপৰিও পকা মিঠৈ উলিওৱাটো বাধ্যতামূলক। সকলো ঘৰমুৰি ভাগ কৰা হয়। লগতে পানী তোলা দুনৰিৰ ধানৰ লগত জাকৈ বাঁওতে যি উঠিছিল, তাকো সানি ঘৰে ঘৰে বিলাই দিয়া হয়।

কোনো কোনো অৱস্থাপন্ন চুতীয়া পৰিয়ালে নিজৰ ঘৰতো দুদিনীয়াকৈ বৰ সবাহ পাতে। ঘৰত পতা বৰ সবাহত পানী তোলা নহয়। এই সবাহলৈ শাস্ত্ৰ জনা, জ্ঞানী বুঢ়া-মেথা কেইজনমানক থিয় নাম দিবলৈ আমন্ত্ৰণ জনোৱা হয়। তিনি-চাৰিজন পাঠকে পাল পাতি থিয় নাম দিয়ে। পাঠকে লগাই দিয়া পদ আৰু নাম চাপৰিৰ তালে তালে বুঢ়া ভকতসকলে গায়। বৰ সবাহলৈ মতা-নমতা সকলোৱেই ভক্তি নামৰ ৰসৰ জুতি ল'বলৈ আহে। আৰু সকলোকেই গৃহস্থই কোমল চাউল, গাখীৰ, গুৰ আদিৰে আপ্যায়িত কৰে। চুতীয়াসকলৰ মাজত এটা বিশ্বাস আছে যে অপুত্ৰকে এই সবাহ পাতি ভকতৰ আশীৰ্বাদ ল'লে পুত্ৰ সন্তান জন্ম হয় আৰু ধন-ধানো হয়।

**ন ভূঁই ঃ**

জেঠত কঠীয়া পাৰি আহাৰ, শাওন মাহৰপৰা শালি খেতি ৰোবলৈ আৰম্ভ কৰা হয়। শালি প্ৰথম গোচ লোৱা দিনটোক চুতীয়াসকলে ন ভূঁই বুলি কয়। সেইদিনা সৰহীয়াকৈ কৃষি মাটি ৰোৱা হয়। এই ন ভূঁই তিনিটা পৰ্যায়ৰ মাজেদি গৈ সম্পূৰ্ণ হয়। ন ভূঁইৰ কাৰণে বোকা কৰি উলিওৱা মাটি কেইবিঘাৰ অনুপাতে গাঁৱৰ তিৰোতাসকলক কঠীয়া তুলিবলৈ খবৰ দিয়ে। কঠীয়া তোলা তিৰোতাসকলক তোলনী বোলে। সেই মতে তোলনী আহি কঠীয়া তোলে। দুপৰীয়া তোলনী কেইগৰাকীক হাঁহ মাৰি সাঁজে-ভাতে খোৱায়। পিছদিনা ন ভূঁই পথাৰলৈ কঠীয়া কঢ়িয়াবৰ বাবে প্ৰয়োজন অনুসৰি ডেকা হালোৱা কেইজনক খবৰ দিয়ে আৰু তেওঁলোকে ন ভূঁই পথাৰলৈ কঠীয়া কঢ়িয়াই দিয়ে। ৰাতিলৈ কঠীয়া কঢ়িওৱাসকলক ডাল কচু আৰু হাঁহ মাংসৰ লগত জালুক দি ৰান্ধি সাঁজে-ভাতে মৃতকৰ পাত পাৰি ভোজ খোৱায়।

কঠীয়া কঢ়িওৱাৰ পিছদিনা (কঠীয়া তোলাৰ দিনাৰপৰা লেখ কৰিলে তিনিদিনৰ দিনা) ন ভূঁই পাতিবলৈ ঠিক কৰি থোৱা বোকা মাটি কেইবিঘা একেদিনাই হাল বাই ৰোবলৈ দিবৰ বাবে গাঁৱৰ কেইঘৰমানত হাল বিচাৰে। সেইমতে হাল আনি গাঁৱৰ মানুহে



হাল বাই দিয়ে।

সেইদিনা মাটি ৰোবৰ কাৰণে হাল বোৱাৰ পিছত মৈ দি এজনে কোন ডৰা মাটিত কেইফেৰা কঠীয়া লাগিব, সেইমতে কঠীয়া বোলাই দিয়ে।

ৰোবলৈ দিয়া মাটিত ৰোৱনীয়ে ৰোৱাৰ আগতে গৃহস্থই গা-পা ধুই ঘৰৰপৰা থাউকীয়াল কচু এজোপা, আগলি কলপাত এযোৰ, তামোল তিনিখন লৈ গৈ মাটি ডোখৰৰ মাজৰ ভাল তিনিআলি বা চাৰিআলি এটা চাই টিকটো মছি লৈ তাতে কচুজোপা ৰুই লৈ কচুজোপাৰ গুৰিত পূবমুৱাকৈ কলপাতযোৰ, তামোল তিনিখনেৰে সৈতে সজাই দি লক্ষ্মী আইক প্ৰাৰ্থনা কৰি কয়, 'কচু ফেনাদি ফেনাবি, হেলচ শলাদি শালিবি, গুৰুক লগাম, ভকতক লগাম, আই লখিমী নদন-বদন হৈ উঠ'। এইবুলি কৈ আলি টিকটোৰ চুককেইটাৰ চাৰিওফালে ন ভূঁইৰ গোট দি প্ৰতিটো চুকত চাৰি-পাঁচ ফুটমান আঁতৰলৈকে কঠীয়া ৰুই দিয়ে। মাটি ৰোবলৈ কৈ থোৱা ৰোৱনীহঁত আহি গৃহস্থৰ ন ভূঁইৰ গোচ যিমান সেৰেঙাকৈ ৰুই থৈছে তেনেকৈয়ে বোকা দিয়া মাটিখিনি ৰোৱে। ৰোৱনীবিলাকে হাঁহি-স্ফুৰ্তিৰে ভূঁই ৰুই ৰুই বিয়া-নাম গাই, পথাৰত ডেকা দেখিলে তেওঁক জোকাই বিহু-নাম গাই, কেতিয়াবা ৰোৱানীহঁতৰ মাজতে বিয়া নাম গাবলৈ দুভাগ হৈ ইযোৰাই সিযোৰাক বিয়া নামেৰে জোঁটে। এই ৰোৱানীহঁতকো পথাৰতে গৃহস্থই মাছে-মাংসই খোৱাৰ যোগাৰ দিয়ে। ৰুই মেলি শেষ কৰি ৰোৱনীহঁতে নিজৰ নিজৰ কঁকালৰ খোঁচনি আৰু কমৰবিলাক খুলি ঢিলা কৰি প্ৰতিজনীয়েই ৰোৱাবিলাকলৈ পানী এচাটি মাৰি 'হাত সাৰ, পাত সাৰ গোছে প্ৰতি ধানভাৰ' বুলি কোৱাৰ নিয়ম। এনে কৰিলে সোনকালেই ৰোৱা সজাল ধৰে বুলি বিশ্বাস।

চুতীয়া কৃষকসকলে কঠীয়া বন্ধা, কঠীয়া পৰা, ন গোচ লোৱা, ন ধান দোৱা, লখিমী ছিঙা আদি কামবোৰ মাহ, দিন-বাৰ আদি চাই স্থিৰ কৰে। শনিবাৰ, মঙ্গলবাৰ বাদ দি বুঢ়া জোনত খেতিৰ কামবোৰ আৰম্ভ কৰে। জেঠ মাহত শালি খেতিৰ কঠীয়া পাৰি শেষ কৰে। শাওনত পৰা কঠীয়াই পুলি-পোখা নিদিয়ে বুলি কয়। কঠীয়া বান্ধিবৰ কাৰণে পথাৰতে ধান বাচনি কৰে। সেই ধান দাই আনি বাচি-কুচি, ভৰিৰে মোহাৰি ৰ'দত দি জাৰি-মেলি টোমত কঠীয়া বান্ধি ঘৰৰ ছটিত দুদলীয়া বাঁহ দি তাতে তুলি থয়।

কঠীয়া পাৰিবলৈ কঠীয়া তলি উলিওৱা বৰ টান কাম। ব'হাগ মাহৰ পৰা হাল বাই মাটিৰ ভাপ মাটি ডৰাৰপৰা বাহিৰ কৰে। দুদিন, তিনিদিনৰ মূৰে মূৰে হাল বাই মাটি ভালদৰে ছিঙি লয়। নিয়মীয়া পানী ৰাখি মাটিখিনি ৰ'দৰ তাপত গেলিবলৈ দিয়ে। কঠীয়া পাৰিবপৰা হৈছেনে নাই তামোল খাই কঠীয়া তলিত পিকাই চায়। এইদৰে যত্ন কৰি কঠীয়াপৰা দিনা হাল বাই মাটিডৰাত চাৰিওফালে আলিৰ কাষে কাষে লোৰ দি মাটিডৰাৰ মাজত পানী ডোঙা পাতি নথকাকৈ মৈ দিয়ে। মৈ দিয়া কেইঘন্টামানৰ পিছত ঘেল তল পৰিলে কঠীয়া পাৰিব জনা মানুহে গঁজালি মেলা কঠীয়াখিনি নিয়মীয়াকৈ সিঁচি দিয়ে।

কঠীয়াপৰা মানুহজনে কঠীয়া পাৰোঁতে পোন্ধ আৰু কমৰ ঢিলা কৰি লয়।

**ভাত পিঠা বা নাঙল ধোৱা পিঠা ঃ**

খেতি উঠাৰ দিনা ঘৰখনৰ সকলোৰে বৰ আনন্দ। খেতি কৰা দিনকেইটাত সময়মতে খোৰা-শোৱা কাৰোৰে নহয়। হালোৱা গৰুৰ হাঁড়ত ছাল লাগেগৈ, মানুহৰো বুকুৰ নিংকৰি ওলায়। সেয়েহে খেতি উঠাৰ পিছত কামৰ শুকুঙা চাই এদিন ভাত পিঠা প্ৰতি ঘৰে যোগাৰ কৰে, লগতে পাৰিলে চেৰা দিয়া পিঠাও যোগাৰ কৰা হয়। চুতীয়সকলে মাটি মাহৰ আঞ্জা আৰু কোমোৰা দি ৰন্ধা হাঁহ মাংসৰ লগত ভাত পিঠা আৰু চেৰা দিয়া ভাত তৃপ্তিৰে খাই খেতি কৰা দুখ-ভাগৰ আঁতৰায়। অঞ্চল বিশেষে ভাত-পিঠা বা নাঙল ধোৱা পিঠা দৈ, গুৰ মিহলাইও খায়। কোনো কোনো অঞ্চলত চুতীয়াসকলে এই ভাত সাঁজ খেতি উঠা ভাতো বোলে।

**লখিমী অনা বা লখিমী ছিঙা ঃ**

চুতীয়াসকলে ন ধান দোৱাৰ আগতে বাৰী-ঘৰ, চোতাল আৰু পদূলি চিকুণাই মেলি ঘৰখন পৰিপাটী কৰি লয়। কোনো কোনো অঞ্চলৰ চুতীয়া গাঁওবিলাকত প্ৰথম ধান দাই ঘৰলৈ অনা দিনা লখিমী অনা নিয়ম কৰে। সেইদিনা ভঁৰালত চাকি-শলিতা জ্বলাই তিনি গোচা ধান কাটি আনি ভঁৰালত থয়। সৰহভাগ চুতীয়া কৃষকে ধান দাই আনি মেলি শেষ কৰি শেষৰ দিনা শেষৰ ডাঙ্গৰি ভাৰ আনোতে লখিমী বুলি আনিবলৈ ধান তিনি গোচা বান্ধি থয়। এই ধান তিনি গোচাৰ তলখন চফা কৰি আগলি কলপাত এযোৰত তামোল তিনিখন দি লখিমী আইক স্তুতি-প্ৰাৰ্থনা কৰে, 'লখিমী আই আজি ইমানদিনে মাটিয়ে, বালিয়ে পৰি বকৰানীত আছিলা, আজিৰপৰা ঘৰৰ ভঁৰাললৈ ব'লা'। তাৰ পিছত ধান তিনি গোচা কাটি কলপাতত থৈ নতুন গামোচা এখনেৰে মেৰিয়াই ডাঙ্গৰি কঢ়িওৱাৰ লগত কোনোবা গ'লে মূৰত তুলি আৰু কোনোবাই ডাঙ্গৰি ভাৰৰ ডাঙ্গৰি এটাত তুলি ঘৰমুৱা হয়। লখিমী আনোতাই বাটত কাকো মাত-বোল নকৰে, পিছলৈও উভতি নাচায়। পোনে পোনে লখিমী আনি ভঁৰালৰ ছটিত তুলি থয়হি। লখিমী অনা আনন্দত ৰাতিৰ ভাত সাঁজ ভালকৈ খায়, কিন্তু সেই দিনা জীৰ নামাৰে।

**ন খোৱা ঃ**

চুতীয়া কৃষকসকলে ন খোৱা ভোজটো ন ধান বহাই-শুকুৱাই চাউল উলিয়াই হাঁহ মাৰি বাৰীৰ ন শাক-পাচলিৰে চুবুৰিটো মাতি খায়। প্ৰথম বহাবলৈ লোৱা ন ধান জকা জাৰোতে যি পতান ওলায়, সেই পতানৰে অলপমান আগলি কলপাত এযোৰত থৈ তাতে তামোল তিনিখন খেৰৰ সৰু সৰু মুঠি বান্ধি তিনিটা কেঁচুমুটা দি পদূলি মূৰত পুবফাললৈ মূৰ কৰি পতানী দেৱীৰ উদ্দেশ্যে আগবঢ়াই দিয়ে। তাৰ পিছতহে ধান জকা ফালিবলৈ তলত জুই দিয়ে। আঘোন মাহত ন খোৱা পাতে। পুহ মাহত ন খাব নেপাই বুলি কয়।



**ভঁৰালত পিঠা দিয়া ঃ**

লখিমী পথাৰৰপৰা দাই চপাই আনি মৰণা মাৰি ভঁৰালত ভৰাই থয়। তাৰ পিছত মাঘ মাহলৈকে ভঁৰালৰপৰা ধান উলিয়াব নাপায় বুলি চুতীয়াসকলে কয়। ফাগুন মাহত ভঁৰালত পিঠা দিয়া নিয়ম কৰিহে ভঁৰালৰ ধান উলিয়ায়। এই কাম হ'লে পিঠা খুন্দি মাটিৰ মলা এটাত দোনমুনিয়াকৈ শুকান পিঠা-গুড়ি থিপি-থাপি লৈ সন্ধ্যা চাকি-শলিতা জ্বলাই তামোল তিনিখনেৰে সৈতে আগলি কলপাত এযোৰৰ ওপৰত শুকান পিঠা-গুড়িৰ মলাটো বহুৱাই ভঁৰালৰ গাঁন্ধৈত বা সুবিধা হ'লে ভঁৰালৰ ছটিত লখিমী আইলৈ বুলি আগবঢ়াই দিয়ে। পিছদিনা পুৱা পিঠাৰ মলাটো ভিতৰলৈ আনি আন এটা মাটিৰ মলাত সেই পিঠা গুড়িখিনি ভাপত দি চেৰা দিয়া পিঠা কৰে। চুতীয়াসকলৰ ভাপত দিয়া বস্তুৰ প্ৰতি বৰ হেঁপাহ। চেৰা দিয়া মাটিৰ মলাটোৰ তলফালে আধা ইঞ্চিমান ব্যাসাৰ্ধৰ এটা ফুটা কৰি লৈ সেই ফুটাটোৰেদি পিঠা বা চাউল সৰকি নপৰিবৰ কাৰণে চাৰি আঙুলমান দীঘল, দুই আঙুলমান বহল দুচিটা কলপটুৱাৰ পিঠিটো পাতলকৈ মলাটোৰ ফুটাটোত এচিটাৰ ওপৰত আনচিটা পথালিকৈ দি তাৰ ওপৰত পিঠা গুড়ি বা বৰা চাউল ঢালি দিয়ে। তাৰ পিছত ঘটি বা বটলহি এটাত আন্দাজ মতে পানী ভৰাই উধানত তুলি দি তাৰ কান্ধত কাপোৰ এখনেৰে পাতলকৈ মেৰিয়াই চেৰা দিবলৈ লোৱা মলাটো মুখত বহুৱাই দিয়ে। উধানৰ মাজত জুই দিয়ে, উতলা পানীৰ ভাপ মলাটোৰ তলৰ ফুটাটোৰেদি গৈ চাউলখিনি বা পিঠাখিনি সিজাই পেলায়। এইদৰেই চুতীয়াসকলে চেৰা দিয়া বৰা ভাত আৰু চেৰা দিয়া পিঠা কৰি খায়। ভঁৰালত দিয়া পিঠা গুড়ি ভাজি অন্য পিঠা কৰি খালে ঘৰত লখিমীয়ে বাস নকৰে বুলি কয়।

**গৰখীয়া ভোগ ঃ**

অন্যান্য জনগোষ্ঠীবোৰৰ দৰে কৃষিজীৱী চুতীয়াসকলৰ প্ৰধান সম্বল হালোৱা গৰু আৰু ম'হ। হাল বোৱা, মৰণা মৰা, গাড়ী টনাকে ধৰি বহুতো কামত গৰু-ম'হ নহ'লে নচলে।

হাল বাই উঠাৰ পিছত প্ৰতিদিনে পেট ভৰাই ঘাঁহ খুৱাবলৈ হালোৱা গৰু, ম'হবোৰ ৰ'দে-বৰষুণে বৰ কষ্ট কৰি গৰখীয়াই চৰাব লাগে। অন্য সময়তো উদং দিয়া দিনকেইটাৰ বাদে গৰখীয়াই ভোকে-পিয়াঁহে, ৰ'দে-বৰষুণে কেতিয়াবা বহুত দূৰলৈ গৰু-ম'হ নি চৰাব লাগে। চুতীয়া সমাজত গৰু-ম'হক যেনেকৈ আদৰ কৰা হয়, সেই একে ধৰণে গৰু-ম'হ চৰোৱা গৰখীয়াকো শ্ৰদ্ধা কৰে। এই গোৱাল বা গৰু-ম'হ ৰখীয়াবিলাকে গৰু-ম'হৰ বেমাৰ-আজাৰ নহ'বৰ বাবে জেঠ-আহাৰ মাহত পাতিহাঁহ মাৰি চাপৰিত থকা কুটুহা বাঁহৰ তলত বা গছৰ তলত আই ভোগ দিছিল। ইয়াকে গৰখীয়া ভোগ বোলে। গৰুৰ চবকাত পৰা বেমাৰটো চুতীয়াসকলে গৰুৰ আই ওলোৱা বুলিয়েই বিশ্বাস কৰে।

[১] দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ২০১

**দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা'ৰ দ্বিতীয় আখ্যান মতে, চুতীয়াসকলৰ আদি ৰজা খুন্ত অর্থাৎ বীৰপাল এজন ম'হ ৰখীয়া আছিল। প্ৰবাদ মতে মহাকালীয়ে খুন্ত ম'হ ৰখীয়াৰ পৰা ম'হ এটা খোজাত খুন্তই মনেৰে মহাকালীক ম'হ এটা দিলে। মহাকালী সন্তুষ্ট হ'ল আৰু মহাকালীৰ আশীৰ্বাদতে তেওঁ শক্তিযুক্ত দণ্ড-খাট পালে আৰু তাৰ বলতে তেওঁ ৰজা হ'ল।[১] এই আখ্যানে এই কথাই ইঙ্গিত দিয়ে যে, অতি পুৰণি কালৰে পৰা চুতীয়াসকলে পোহনীয়া গৰু-ম'হ তথা গৰখীয়াৰ মঙ্গলৰ অন্তৰালত মহাকালীৰ আশীৰ্বাদ থকা বুলি বিশ্বাস কৰি তেওঁক পূজা কৰিছিল। সেই পৰম্পৰা আজিও বহুতো চুতীয়া গাঁৱত চলি আছে।

গৰখীয়াবিলাকে গৰুৰ কাৰণে আই ভোগ দিবলৈ চাউল, চৰু, শাক-পাচলি, সাঁজ আৰু পাতিহাঁহ যোগাৰ কৰি চাপৰিত কুটুহা বাঁহ বা ডাঙৰ গছ এজোপাৰ তলখন চাফ-চিকুণ কৰি মচি-কাচি লৈ তাতে গৰখীয়াবিলাকৰ সিদ্ধান্ত মতে তেওঁলোকৰ মাজৰে দুজনমানে গৰখীয়া ভোগ ৰান্ধিবলৈ লয়। দুজনমান গৰখীয়া গৈ গাঁৱৰ বুঢ়া-ভকত এজন আশীৰ্বাদ দিবলৈ মাতি আনেগৈ। বুঢ়া ভকত আহি পালে নির্দিষ্ট আসনত তেওঁক বহুৱাই চাকি-শলিতা জ্বলাই এযোৰ আগলি কলপাতত থুৰিওৱা তামোল তিনিখন, দক্ষিণা আৰু সাঁজ এবাতি দি হাঁহ মৰা পাত সজায়। ইয়াৰ পিছত আই সকাম বা ডাঙৰীয়া সকামত বর্ণনা কৰাৰ দৰে হাঁহ মাৰি ভাত ৰান্ধি আই পাত এখন সজাই গৰু-ম'হ আৰু গৰখীয়াৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰি বুঢ়া ভকতজনৰ পৰা আশীৰ্বাদ লয়। ইয়াৰ পিছত আই পাতখন পানীত উটুৱাই দিয়া হয় আৰু ৰন্ধা-বঢ়া বস্তুখিনি সকলোৱে ভগাই খায়। ইয়াকে গৰখীয়া ভোগ বোলে।

**গৰখীয়া ভোজ বা গৰখীয়া চাউল ঃ**

গৰখীয়াৰ আশীৰ্বাদ গাঁৱৰ সকলো মানুহে অথলে নাযায় বুলি ভাবে। গৰু-ম'হ চৰাই থাকোতে গৰখীয়াহঁতে বাটৰুৱাক হৰিধ্বনি দি পইচা খুজি লয়। বাটৰুৱাইও গৰখীয়াহঁতক বিমুখ নকৰি যথা সাধ্য দান কৰি যায়।

কেতিয়াবা কোনোৱা দম্পত্তি নিঃসন্তান হ'লে বা পুত্ৰ সন্তান নেথাকিলে সন্তান কামনা কৰি গৰখীয়া মাতি ভোজ খুৱাই সন্তান হ'বলৈ আশীৰ্বাদ লয়। এনেবিলাক ভোজক গৰখীয়া ভোজ বুলি কয়।

মঙলতিয়ে মঙল চাই কাৰোবাক গৰখীয়া ল'ৰাৰ দোষ লাগিছে বুলি কৈ দুপৰীয়া গৰখীয়া ল'ৰা মাতি গৰখীয়াক চাউল একঠা খুৱাবলৈও পৰামৰ্শ দিয়ে। মঙলতিৰ বিধান মতে দুপৰীয়া গৰখীয়া ল'ৰা মাতি আনি ক'লা আমলৰিয়া হাঁহ মাৰি তেওঁলোকক ভোজ দিয়ে। ভোজ খাবলৈ বহোঁতে সকলোৱে কলপাত এচিটা পাৰি তাৰ ওপৰতে বহি ভোজ খায়। ঢৰা বা পাটীত বহি গৰখীয়া চাউল কঠা খাব নাপায় বুলি পূৰ্বৰে পৰা চলি অহা এটা পৰম্পৰা আছে। ইয়াকে গৰখীয়া চাউল খোৱা বুলি কয়।



**সদা শিৰক দিয়া ঃ**

গৰু-মহ বেমাৰত নপৰিবৰ কাৰণে সদা শিৰক তুষ্ট কৰিবলৈ সাধাৰণতে জেঠ-আহাৰ মাহত গৃহস্থই গাঁৱৰ বুঢ়া-মেথা কেইজনমানক মাতি শিৱৰ নামত এচিলিম ভাং দিয়াটো কৃষিজীৱী চুতীয়াসকলৰ এটা পৰম্পৰা।

গৃহস্থই চুবুৰীটোৰ বুঢ়া-মেথা কেইজনমানক সদা শিৰক দিয়া সকামলৈ দপৰীয়া মাতি আনি কল, কুঁহিয়াৰ, মাহ-প্ৰসাদ আৰু ভাং এচিলিম যোগাৰ কৰি ভকতসকলৰ আগত থয়। ভকতসকলৰ মাজৰ পৰাই এজন দেউৰী উঠি চাকি-শলিতা জ্বলাই ভীম কলৰ আগলি কলপাত এযোৰ সজাই তাতে কটা তামোল তিনিখন, অৰিহণা, মাহ-প্ৰসাদ, কল-কুঁহিয়া আৰু চিলিমত ভাং এচিলিম ভৰাই সদা শিৱলৈ আগবঢ়াই দিয়ে। গৃহস্থই আহি তাতে সেৱা লয় আৰু আশীৰ্বদীয়াই গৰু-ম'হৰ মঙ্গল কামনা কৰি গৃহস্থক আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত দেউৰীয়ে পাত ভাঙি, এখন পাত সজাই গৰুবিলাকক খাবলৈ আগবঢ়াই দিয়ে। বাকী মাহ-প্ৰসাদ সকলোৱে ভগাই খায়। ভাং খোৱা কেইজনে চিলিম জ্বলাই দীঘল দীঘল শোহা মাৰি চিলিমটো এজনে আনজনলৈ আগবঢ়াই দিয়ে। এই নিয়মেৰেই সদাশিৱক দিয়া অনুষ্ঠান শেষ কৰে।

**ভেকুলী বিয়া পতা, কাঁহী বজোৱা, বাঘ ধনু বজোৱা, ঢেঁকী টনা ঃ**

খেতিৰ বতৰত বহুতদিন বৰষুণ নিদিলে খেতিৰ পথাৰ শুকাই চিৰাল ফাট মেলে। বোকা মাটি শুকাই কৰকৰীয়া মাৰে। এনেকৈ খেতিৰ দিনত বতৰ খৰাং হ'লে বৰুণ দেৱতাক সন্তুষ্ট কৰি বৰষুণ দিয়াবলৈ চুতীয়া সমাজত আহাৰ-শাওন মাহত ভেকুলী বিয়া পতা, কাঁহী বজোৱা, বাঘ ধনু বজোৱা, ঘৰৰ পানী পোতাত চেপা, খোকা পতা আৰু ঢেঁকী টনা আদি নিয়মবোৰ পূৰ্বৰপৰাই চলি আহিছে। এই অনুষ্ঠানৰ বাবে মতা-মাইকী এহাল ভেকুলী ধৰি আনি দৰা-কইনা সজাই বেলেগ বেলেগ দুঘৰত থয়। তাৰ পিছত গাঁৱৰ ৰাইজে চুতীয়াৰ বৰ বিয়া পতাৰ নিয়মেৰে পানী তুলি নোৱাই-ধোৱাই নাম-গুণ গাই ভেকুলী হালৰ বিয়া পাতে। মাত্ৰ পাৰ্থক্য ইমানেই যে ভেকুলীৰ কইনাৰ যৌতুকত দিয়া চকী-টেবুল, চাল-পীৰা, কাঁহী-বাতি, লোটা-কলহ আদি বস্তুবোৰ মাটিৰে সজা। দৰা-কইনাক দিয়া কাপোৰবোৰ চফা ফটাকানি। দৰা-কইনাক কলপটুৱাৰ দোলা সাজি অনা-নিয়া কৰে। ভেকুলীৰ দৰা-কইনা বিয়া হৈ যোৱাৰ পিছত পুৱতি ৰাতি পুখুৰীত বা নদীত বুৰ মাৰি দৰা-কইনা হাল মেলি দিয়া হয় আৰু যৌতুকত দিয়া বস্তুবোৰ পানীত পেলাই দিয়া হয়। এই ভেকুলী বিয়াত গোৱা নামবিলাক এনেধৰণৰ -

ঢালক ঢালক কলহৰ পানী
বুৰক বুৰক পথাৰৰ আলি
কয়লাৰ মাটি, সাগৰৰ পানী
বুৰি যাওক বুৰি যাওক পথাৰৰ আলি।

শালৰে নাঙলটি ঢালক ঢালক কলহৰ পানী
চাঙতে ৰহিলে ঢালক ঢালক কলহৰ পানী
কয়লাৰ মাটি, সাগৰৰ পানী
বুৰি যাওক বুৰি যাওক পথাৰৰ আলি
চালৰে এচাৰি চালতে ৰহিলে ঢালক ঢালক কলহৰ পানী
বুৰক বুৰক পথাৰৰ আলি
বুৰি যাওক বুৰি যাওক পথাৰৰ আলি।
...............................
...............................

চুতীয়া মানুহৰ বিশ্বাস খৰাং বতৰত ভেকুলীৰ গা পুৰিলে ভেকুলীয়ে টোৰটোৰায়। এই টোৰটোৰনি শুনি বৰুণ দেৱতাই ভেকুলীৰ গা পুৰণি মাৰিবলৈ বৰষুণ দিয়ে। বুঢ়ী আইতাসকলেও বতৰৰ জাননী সময় আৰু বতৰ চাই দিয়ে। বাৰীৰ ভেকুলী জপিয়াই জপিয়াই ঘৰৰ ভিতৰত সোমালে বা ঘৰৰ চোতালে-পদূলিয়ে সৰহীয়াকৈ ওলাই জপিয়া-জপি কৰি থাকিলে বৰষুণ দিয়ে। পশ্চিমৰফালে বাৰিষা, পানী গছা দেখিলে ঢল আহিব বুলি কয়। পশ্চিমদিশলৈ বাৰিষা বতাহ বলিলে বা মূৰৰ ওপৰত মেঘে গৰ্জিলে শীঘ্ৰে বৰষুণ আহিব বুলি ধাৰণা কৰে। যুৰীয়া ৰামধনুৰ ৰং চাই ঢল অহা-নহাৰ উমান পাব পাৰে। পৰুৱাৰ লানি চাইও বৰষুণৰ পৰিমাণ ক'ব পাৰে।

বৰুণ দেৱতাক খৰাং বতৰৰ জাননী দিবলৈ চুতীয়াসকলে সাঁজ লগাৰ পিছত চোতালত বহি কাঁহী বা বাঘ-ধনু বজায়। দুই ইঞ্চিমান বহল দুফুটমান দীঘল বাঁহ এচিটা পাতলকৈ চিটিয়াই লৈ তাৰ এটা মূৰত খুপ কাটি এই খুপটোত চাৰিফুটমান দীঘল বটিয়া এডালৰ এটা মূৰ বান্ধি বটিয়াডালৰ আনটো মূৰে শকত এচাৰি এডালত বান্ধি এচাৰিডাল দুই হাতেৰে ধৰি খুব জোৰেৰে ঘূৰালে বাঘে গোঁজৰাৰ দৰে মাত দিয়ে। সেই কাৰণেই ইয়াক বাঘ-ধনু বোলে।

অলপ পানীৰে সৈতে কাঁহৰ কাঁহী এখন টৌ এটাৰ মুখত থৈ এফুটমান দীঘল বাঁহৰ সৰু মাৰি এডালৰ এটা মূৰ কাঁহীখনৰ সোঁ-মাজত থৈ দুয়ো হাতেৰে এটা লাচত ঘুটনি মাৰিলে এটা মিহি আৰু ভয় লগা ধৰণৰ মাত ওলায়। ইয়াকে কাঁহী বজোৱা বুলি কয়।

চেপা, খোকা ৰাতি ঘৰৰ পানীপোতাত পাতি থ'লেও বৰুণ দেৱতাই অপমান পাই বৰষুণ দিয়ে বুলি কয়।

বাৰিষা খেতি-পথাৰ বৰষুণৰ অভাৱত খৰাং হ'লে চুতীয়া কৃষকসকলে নাম গাই গাই ঢেঁকী চোচঁৰাই বৰুণ দেৱতাক জানিবলৈ দিয়াটো পূৰ্বৰপৰাই চলি অহা নিয়ম। সাধাৰণতে পূব বা দক্ষিণ ফাললৈ মূৰ কৰি চুতীয়াসকলে ঢেঁকী পাতে। পূব ফাললৈ মূৰ



কৰি থকা ঢেঁকী টানিলে বৰষুণ সোনকালে দিয়ে বুলি কয়। গিৰিহঁতে গম নোপোৱকৈ ঢেঁকীটো পথাৰৰ মাজলৈ নি নাম গাই গাই চোঁচৰায়। চোঁচৰাওতে ঢেঁকীটোৰ মূৰৰ ফালে তিনিজনমানে ধৰি চোঁচৰায় আৰু বাকী কেইজনে ঢেঁকীৰ পিছফালে ঢেঁকী টনা নামৰ চেৰে চেৰে লাখুটিৰে ঢেঁকীটো টঙনিয়াই যায়। ঢেঁকী টনা নামবিলাক এজনে লগাই দিয়ে আৰু বাকীকেইজনে গায় -

চাঁচে চাঁচিলে, হেইচৌ
বাইচে কাটিলে, হেইচৌ
উফৰি পৰিলে,
হেইচৌ চলি
দীঘে পথালিয়ে, হেইচৌ
চাঁচিবলৈ ধৰিলে, হেইচৌ
ওপৰে ৰাখিলে,
হেইচৌ কলি
ধৰ্ম্মে ঢেঁকীটো, হেইচৌ
অনন্তই থোৱা হ'ল, হেইচৌ
ব্ৰহ্মাই কটৰা
হেইচৌ হ'ল
সন্তই অকৰা শলা, হেইচৌ
মহন্তই গুল, হেইচৌ
প্ৰকৃতিয়ে আহি হ'ল ঢেঁকী
হেইচৌ খোল।

এইদৰে ঢেঁকী চোঁচৰাই পথাৰৰ মাজত ঢেঁকীটো আধালৈকে উভতাই পুতি থৈ আহে।

## চুতীয়াসকলৰ বিহু পতাৰ নিয়ম

বিহু অসমীয়া লোকসংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গ। কোন জাতি বা জনগোষ্ঠীৰ মাজত প্ৰথম বিহুৰ প্ৰচলন আছিল সেই বিষয়ে সঠিককৈ ক'ব নোৱাৰি। বিহু শব্দৰ উৎপত্তিৰ সম্পৰ্কেও মতভেদ থকা দেখা যায়। বৰ্তমান বহুতো পণ্ডিতে 'বিষুব' শব্দৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি বুলি কয়। আনহাতে, চুতীয়া ভাষাত 'বিহু'ক 'বিচু' বুলি কোৱা হয়। 'বিচু' শব্দই অতি আনন্দময় এটি উৎসৱক বুজায়। 'বিচু' শব্দৰ অপভ্ৰংশ হৈ 'বিহু' শব্দৰ উৎপত্তি হৈছে।[২] বিহু শব্দৰ উৎপত্তিৰ উৎস যিয়েই নহওক, অতীজৰে পৰা অসমৰ থলুৱা জাতি-জনগোষ্ঠীৰ মানুহৰ মাজত বিহু বিভিন্ন নীতি-নিয়মৰ মাজেৰে প্ৰচলিত হৈ আহিছে।

## চুতীয়াসকলৰ সামাজিক আচাৰ অনুষ্ঠান

চুতীয়াসকলৰ মাজতো অতীজৰপৰা বিভিন্ন ৰীতি-নীতিৰে বিহু প্ৰচলন হৈ আহিছে। অৱশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে চুতীয়াসকলৰ মাজত পৰম্পৰাগত ভাৱে প্ৰচলিত বিহুৰ ৰীতি-নীতিৰো আমূল পৰিবৰ্তন হ'বলৈ ধৰিলে। অসমীয়া সংস্কৃতিৰ সামগ্ৰীক বিহুৰ ৰীতি-নীতিয়েই এতিয়া চুতীয়াসকলৰো বিহুৰ ৰীতি-নীতি হিচাবে পৰিগণিত হ'ল। পূৰ্বৰ বৃহৎ চুতীয়া জাতিৰ কেতবোৰ গোষ্ঠীয়ে এতিয়াও নিজৰ নিজৰ স্বকীয় বৈশিষ্ট্যৰে বিহুৰ পৰম্পৰা অটুত ৰাখিবলৈ যত্ন কৰিছে যদিও সৰহ সংখ্যকেই পূৰ্বৰ পৰম্পৰা পাহৰি পেলাইছে।

অতীতৰ চুতীয়া ৰাজ্যখনত বিহুৰ বহুল প্ৰচলন থকাৰ কথা বিহু বা হুচঁৰিৰ গীত আৰু কিছুমান ফকৰা-যোজনাৰ মাজেৰে প্ৰকাশ পাই আহিছে। চুতীয়াসকলৰ মাজত প্ৰচলিত জনশ্ৰুতিৰ মতে চুতীয়াসকলৰ শেষ ৰজা নীতিপাল চন্দনগিৰি পৰ্বতত আশ্ৰয় লৈ থকা অৱস্থাত আহোম সৈন্যৰ এটা দলে চুতীয়া সৈন্যই শুনাকৈ ঢোল বজাই বিহু মাৰিছিল। তেতিয়া আছিল বিহুৰ সময়। বিহুবলিয়া চুতীয়া সৈন্যই ঢোলৰ মাত শুনি যুদ্ধৰ সতৰ্কতা পাহৰি পাহাৰৰ টিঙত বিহু মাৰিবলৈ ধৰিলে। সেই সুযোগতে আহোম সেনাই চুতীয়াসকলক আক্ৰমণ কৰি সম্পূৰ্ণৰূপে পৰাস্ত কৰিলে। **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত এই সম্পৰ্কে এই বুলি আছে - 'ফুচেঙ্গমুন্ বৰগোহাঁই মন্ত্ৰণাকৈ ঘিলা গছত বগোৱাই পৰ্বতৰ ওপৰত ঢুলিয়াক ঢোল বজাব দিলেগৈ। স্বৰ্গৰজাৰ আজ্ঞাৰে পৰ্বতত উঠি ঢোল বজালেগৈ।[৩]

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ বিহু উৎসৱ মূলতঃ কৃষিভিত্তিক যদিও ইয়াত ধৰ্মীয় বিশ্বাস জড়িত হৈ আছে। চুতীয়া ৰাজ্যত তাম্ৰেশ্বীৰ মন্দিৰৰ সন্মুখত ডেকা-গাভৰুৱে মিলি ৰাতি বিহু মাৰি দেও উঠাই গাঁৱলৈ বিহু নমাই আনিছিল। বিহুৰ নামত তেওঁলোকে মন্দিৰত বিহু পূজা কৰিছিল আৰু নিৰ্দ্ধাৰিত দিনত দেৱালয়ত বিহু উৎসৱ পাতিছিল। গাঁৱৰ ল'ৰাৰ পৰা বুঢ়ালৈকে আৰু ছোৱালীৰ পৰা বুঢ়ীলৈকে সকলো তাত গোট খাইছিল। এই উৎসৱৰ ভিতৰতে তাত দেওধ্বনিৰ আবিৰ্ভাৱ হৈছিল।[৪] তাম্ৰেশ্বীৰ মন্দিৰ বিহু উৎসৱ চাবলৈ আনকি ওচৰৰ ৰাজ্যৰ পৰাও মানুহ আহিছিল। এটি বিহু গীতত তাৰ ইঙ্গিত পোৱা যায়।

মান দেশত আছিলে মান তৰা এযুৰি
আছিলে নৰিয়াত পৰি
যেতিয়া শুনিলে বিহুৰে বতৰা
আহিলে লাখুটি ধৰি।[৫]

---

[২] পৰন চন্দ্ৰ শইকীয়া, **দেউৰী-চুতীয়া**, যোৰহাট, ১৯৭৪, পৃঃ ৪৫
[৩] **দেওধাই অসম বুৰঞ্জীত** সন্নিবিষ্ট "চুতীয়া বুৰঞ্জী", পৃঃ ২০০
[৪] **দেউৰী সংস্কৃতি**, পৃঃ ১৭৩
[৫] খনিকৰ, পৃঃ ২২৬



এতিয়াও পৰম্পৰাগত চুতীয়া সমাজত বিহু উৎসৱত ধৰ্ম বিশ্বাসৰ সম্পৰ্ক থকা দেখা যায়। উদাহৰণ স্বৰূপে- পূৰ্বতে চুতীয়াসকলে ব'হাগ বিহু সাতদিনীয়াকৈ পাতিছিল। সেই পৰম্পৰাৰ অংশবিশেষ এতিয়াও ভিতৰুৱা চুতীয়া অধ্যুষিত অঞ্চলত কিছু পৰিমাণে প্ৰচলন থকা দেখা যায়। এই সাতদিনীয়া বিহুৰ প্ৰতিটো দিনৰে একোটাকৈ সুকীয়া নাম আছে। যেনে - প্ৰথম দিনা গৰু বিহু, দ্বিতীয় দিনা মানুহ বিহু, তৃতীয় দিনা গোঁসাই বিহু, চতুৰ্থ দিনা ডাঙৰীয়া বিহু বা ওজা বিহু, পঞ্চম দিনা লখিমী বিহু বা মাইকী বিহু বা কুটুম বিহু, ষষ্ঠ দিনা দেও বিহু বা ৰাঙলী বিহু বা মেলা বিহু আৰু সপ্তম দিনা সাত বিহু বা চেৰা বিহু বা এৰা বিহু।[৬]

**ব'হাগ বিহু বা ৰঙালী বিহু ঃ**

পুৰণি চুতীয়াসকলৰ মাজত চলি অহা ব'হাগ বিহু বা ৰঙালী বিহু কেইবাটাও পৰ্যায়ৰ মাজেৰে আহি শেষ হয়। অৱশ্যে, চ'ত মাহৰ প্ৰথম ভাগৰ পৰাই বিহুৰ উৰুকা দিনালৈকে ডেকা-গাভৰুৱে ৰাতি বিহু কৰিছিল। এই বিহু "চ'তৰ বিহু' বোলা হয়। পূৰ্বতে চুতীয়া ডেকা-গাভৰুৱে একেলগে গোঁসানী থানত পূজা-সেৱা কৰি চ'তৰ প্ৰথম ভাগতে গাঁৱলৈ বিহু নমাই আনিছিল আৰু সেই দিন ধৰি চ'তৰ শেষলৈকে গছৰ তলত ৰাতি বিহু কৰিছিল। পিছলৈ গাঁৱৰ সমীপৰ কোনো বৰ গছৰ তলত বিহু খোলা পাতি পূজা-সেৱা কৰি গাঁৱৰ গাভৰুবিলাকে দল বান্ধি টকা, সুতুলি আৰু গগণা[৭] আদি লৈ বিহু নামেৰে মুখৰিত কৰি বিহু মাৰিছিল। গাভৰুহঁতৰ বিহুৰ জাননী পাই ডেকাসকলেও ঢোল, পেঁপা, বাঁহী আদি লৈ বিহুত যোগ দিছিলহি। অৱশ্যে, বহু ঠাইত ৰাতি বিহুত ডেকাসকলে অংশ গ্ৰহণ নকৰিছিল। ডেকাসকলে আন্ধাৰৰ সুযোগ লৈহে গাভৰুৰ ৰাতি-বিহু উপভোগ কৰিছিল। যিবোৰ ঠাইত ৰাতি-বিহুত ডেকাসকলেও যোগ দিছিল তাত ডেকাসকল নচাৰ নিয়ম নাছিল; অকল গাভৰুৱেহে নাচিছিল। বিহু খোলাত সমন্ধীয়া গাভৰু থাকিলে বিহু খোলালৈ তেওঁৰ সমন্ধীয় ডেকা অহাটো নিষিদ্ধ আছিল। ৰাতি-বিহুত সমীপৰ অন্য গাঁৱৰ ডেকাও আহি যোগ দিছিল। এই বিহুতে কোনোবা ডেকা-গাভৰুৰ মন মিলিলে বিহু তলিৰ পৰাই ডেকাই কোনো গাভৰুক পলুৱাই নিছিল।

গৰু বিহুৰ আগদিনা উৰুকা। উৰুকাৰ দিনা প্ৰতিঘৰ মানুহেই বিহুৰ বাবে যাৱতীয় সা-সামগ্ৰী যোগাৰ কৰে। ডেকা, বুঢ়াসকলে খৰি, কাঠ, গাখীৰ, মাছ, শাক-পাচলি, গৰুৰ বাবে তৰা আৰু মৰা গছৰ নতুন পঘা বনোৱা, দীঘলতি-মাখিয়তী গোটোৱা আদি কাম কৰে। আনহাতে তিৰোতাসকল পিঠা খুন্দা, জেতুকা খুন্দা, ঘৰ-দুৱাৰ সৰা, মচা আদি কামত ব্যস্ত হৈ পৰে।

---

[৬] ক্ষেত্ৰ অধ্যয়নৰ যোগেদি অসমৰ বিভিন্ন ঠাইত চুতীয়া লোকসকলৰ মাজত প্ৰচলিত ব'হাগৰ সাত বিহুৰ সাতটা নাম পোৱা গৈছে। অৱশ্যে, অঞ্চল বিশেষে এই সাতবিহুৰ সাত নাম তথা নীতি-নিয়ম বেলেগ বেলেগ
[৭] গগণা দুই প্ৰকাৰৰ - ল'ৰাই বজোৱাটো 'ৰামধন গগণা' আৰু ছোৱালীয়ে বজোৱাটো 'লাহৰী গগণা'।

চ'তৰ সংক্ৰান্তি দিনা গৰু-বিহু পালন কৰা হয়। কৃষিজীৱী সমাজত গৰুৱে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। এক কথাত বিহু হ'ল প্ৰধানতঃ কৃষি-ভিত্তিক উৎসৱ। সেইবাবে গৰুক আৰাধ্য দেবতাৰ দৰেই প্ৰতিপালন কৰে। চুতীয়াসকলো ইয়াৰ ব্যতিক্ৰম নহয়।

গৰু বিহুৰ দিনা দোকমোকালি পুৱাতে প্ৰতি ঘৰে বাঁহৰ দুডালি চাট বনায়। এডাল চাট, দুডাল শলা থকা আৰু আনডাল চাট তিনিডাল শলা থকা। আগতে যতনাই ৰখা লাও, বেঙেনা, বৰথেকেৰা, হালধি, কেৰেলা আদি চকল চকল কৰি লৈ চাটৰ শলাত চিলাই লয়। মাহ হালধি খুন্দি তাতে মিঠাতেল সানি প্ৰতিটো গৰুৰে কপালত গোহালিতে ফোট দিয়ে আৰু মূৰৰপৰা নেজলৈকে পিঠিত মাহ হালধি সানি দিয়ে। দীঘলতি মাখিয়তী পাতেৰে সৈতে থকা ডাল লৈ এজনে বৰঘৰৰপৰা বাহিৰে-ভিতৰে, বেৰে-চালে, মাটিয়ে ডাল কেইটাৰে সাৰি সাৰি মুখেৰে 'দীঘলতি দীঘল পাত মাখিয়তী মাখিপাত, মাখি মাৰো মহ মাৰো জাত জাত' বুলি গাই গাই আটাইকেইটা ঘৰ সাৰি ওলাই আহে। চুবুৰীৰ সকলোৱে দীঘলতি, মাখিয়তী ডালেৰে গৰুবোৰ নদী বা ডাঙৰ পুখুৰীলৈ খেদি নি আগছি থুপ খোৱাই লৈ গা ধুৱায়। গৰু খেদি নিওতে 'দীঘলতীৰ দীঘল পাত, গৰু হৰি জাক জাক' বুলি গাই যায়। কেইজনমানে লাহনিৰে গৰুৰ গালৈ 'জয় ৰাম বোলা, জয় হৰি বোলা' বুলি পানী ছটিয়ায়। ইয়াৰ পিছত প্ৰত্যেকেই চাটৰ শলাত থকা লাও, বেঙেনা লৈ নিজৰ নিজৰ গৰুবোৰক 'লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু, বাপেৰ সৰু, তই হবি বৰ গৰু' বুলি কৈ প্ৰত্যেকটো গৰুৰ গাত জোৰেৰে মাৰে। ইয়াৰ পিছত চাট দুডালৰ প্ৰতি ডালৰে এটা শলাৰ আগ ভাঙি এডাল চাট অন্য এজনৰ লগত সলাই চালনিখনেৰে সৈতে ঘৰলৈ আহে। চুতীয়াসকলৰ বিশ্বাস মতে, বছৰটোৰ কাৰণে শত্ৰু নাশ হ'বলৈ গৰু গা ধোৱাবলৈ নিয়া প্ৰতিডাল চাটৰ শলাৰ এটাকৈ আগ ভাঙিব লাগে। চাটৰ শলাৰপৰা লাও, বেঙেনা উলিয়াই ঘৰৰ প্ৰত্যেকৰে 'বছৰটোলৈ বাধা-বিঘিনিয়ে লগ এৰক' বুলি এচাত এচাত গাত মাৰি এটা চাট আৰু দীঘলতি মাখিয়তীৰ একোটা ঠাল গোহালি ঘৰৰ চালত গুজি থয় আৰু এটা চাট দীঘলতী আৰু মাখিয়তীৰ ঠালেৰে সৈতে আহু ধানৰ পথাৰত গুজি থৈ আহে। সেইদিনা ঘৰৰ সকলোৱে গৰুলৈ বুলি খুন্দা মাহ-হালধী লৈ গা ধুই নতুন গামোছা গাত লোৱাৰ নিয়ম।

ইয়াৰ পিছত কোনোৱে চাহ জলপান খায়, কোনোৱে নোখোৱাকৈয়ে আগন্তুক বছৰটোৰ শুভা শুভ ফল চাবলৈ সৰু-ডাঙৰ সকলো পুৰুষেই হাতত কণী লৈ গাঁৱৰ চুবুৰীয়ে চুবুৰীয়ে কণী যুঁজাবলৈ যায়। কোনোবাই আকৌ ঘৰতে কণী যুঁজাই আগন্তুক বছৰৰ শুভা-শুভ ফল চায়। এইদৰে আবেলিটোলৈকে কণী যুঁজ হয়।

সিদিনাই গাভৰু আৰু বোৱাৰীইঁতে নিজৰ প্ৰিয়জনক আৰু মান্যজনক বিহুৱান দি আদৰণি জনায়; দৈ, চিৰা, সান্দহ, আৰু বিধে-বিধে পিঠা-পনা আদি খাই আৰু খোৱাই



আনন্দ কৰে। সেইদিনা দুপৰীয়া ভাত নেখায়। গধূলি বাঁহৰ বিচনীৰে চাৰিওফালে বিচি ঘৰ শাঁত কৰে আৰু সিদিনাৰ পৰাহে বিচনীৰে বিচাৰ নিয়ম।

সন্ধিয়া গৰু গোহালিত সোমোৱাৰ আগে আগে জুইৰ জাক দিয়ে। এটা জাক পদুলিৰ মুখত আৰু আনটো জাক গোহালিৰ মুখত দিয়ে। প্ৰতিটো জুইৰ জাকত একেবাৰে তলত ধানখেৰ, ধানখেৰৰ ওপৰত সিজু, একোডোখৰ বগৰী জেং, দীঘলতী-মাখিয়তী ঠাল, বিহলঙনী, ভাং গছৰ একোটা ঠাল দি তাৰ ওপৰত ফলিয়া তুঁহ দিয়া হয়। সেইদিনা গৰুক নতুন তৰা পঘাৰে বন্ধা হয় আৰু তৰাৰ তুলসী গাঠি ডিঙিত তুলসী মালা পিন্ধোৱা হয়। তাৰ পিছত নিমখীয়া ঘিলা পিঠা প্ৰতিটো গৰুক খোৱায়।

গৰু-বিহুৰ পিছদিনা অৰ্থাৎ প্ৰথম ব'হাগৰ দিনটো মানুহ বিহু হিচাবে পালন কৰা হয় আৰু সেইদিনাৰে পৰা মানুহ বিহু আৰম্ভ হয়। সেইদিনা পুৱাই শুই উঠি গৃহস্থই গৰুকেইটা শুই আছেনে নে উঠি আছে বুলি গোহালিলৈ চায়।। যদি উঠি থাকে তেনেহ'লে সেইবছৰত ঘৰখনত অপায়-অমঙ্গল কম হ'ব আৰু খেতি-বাতিও ভাল হ'ব বুলি বিশ্বাস কৰে। ইয়াৰ পিছত আগদিনাই গোহালিত দিয়া জুই জাকৰ ফোটছাঁই মিঠাতেলৰ লগত সানি গৰুৰ কপালত ফোট দিয়ে।

মানুহৰ বিহুৰ দিনা সকলোৱে গা-পা ধুই নতুন বস্ত্ৰ পৰিধান কৰি ঘৰৰ জ্যেষ্ঠজনক সেৱা কৰি জা-জলপান খায়। ঘৰৰ প্ৰতিজন জ্যেষ্ঠ ব্যক্তিকে মানধৰা হয় আৰু গাভৰুসকলেও প্ৰিয়জনক বিহুৱান যাচে। সেইদিনা দিনত ভাত বন্ধা নহয়, সন্ধিয়াৰ পিছতহে ভাত ৰান্ধে। এই সাজ ভাত মাছ বা কোমোৰাৰ সৈতে হাঁহ মাংস বন্ধাৰ লগতে এশ এটা শাকৰ তৰকাৰি এখনো ৰন্ধা হয়। এশ এটা শাকৰ তৰকাৰি খালে বছৰটোৰ বাবে পেটৰ কোনো ব্যাধি নহয় বুলি বিশ্বাস। অৱশ্যে ঠাই বিশেষে গৰু বিহুৰ দিনাই এই তৰকাৰি খোৱাটো নিয়ম। এশ এটা শাকৰ লগত আমৰলী টোপ বিচাৰি আনি খোৱাটো চুতীয়াসকলৰ এটা পৰম্পৰা। চুতীয়াসকলৰ মতে সেইদিনা আমৰলী টোপ খালে বংশ বৃদ্ধি হয়। মাইকী আমৰলী পাতত দি খালে এৱা ভঙা ভাল হয় বুলি বিশ্বাস কৰে।

এই বিলাক ঘৰৰ গৃহিনীয়ে ৰান্ধি বাঢ়ি লৈ চাকি-শলিতা জ্বলাই এজোৰ কলপাতত তামোল তিনিখন আৰু পইচা এটা দি পাত যোৰৰ বাকী অংশত মৃতকক দিবলৈ বুলি ৰন্ধা ভাত, মাছ-মাংস আৰু অন্যান্য ব্যঞ্জনেৰে সৈতে অলপ অলপ দি কাষতে সাজ এবাতি দি আন এখন আগলি কলপাতেৰে আৱৰণ দি মৃতকলৈ বুলি পাতযোৰ আগবঢ়াই সেৱা লয়। মৃতকলৈ বুলি ৰন্ধা বস্তুখিনিৰপৰা প্ৰত্যেকৰে অলপ অলপ ৰান্ধনিয়ে ঘৰৰ সকলোকে খাবলৈ দিয়ে। এই দৰে ঘৰে ঘৰে মৃতকৰ পাত পাৰি খাই-বৈ গাঁৱৰ বুঢ়া-মেথা, আদহীয়া আৰু ডেকাসকলে ঢোল, পাতিতাল, ম'হৰ শিঙৰ পেঁপা লৈ হুচৰি গাবলৈ ওলাই যায়।

মানুহ বিহুৰ দিনাৰ পৰাই ৰাতি গাঁৱত হুচৰি আৰম্ভ কৰে। গাভৰুসকলে সেইদিনা

দিনৰ ভাগত এজোপা সুবিধাজনক গছৰ তলত বিহু খোলা পাতি বিহু আৰম্ভ কৰিছিল। গাভৰুসকলৰ এই বিহুক 'বৰ-বিহু' বোলে। অৱশ্যে,বহু ঠাইত এই বিহুত ডেকাসকলেও যোগ দিয়ে। পূৰ্বতে চুতীয়াসকলে তাম্ৰেশ্বৰী মন্দিৰত পূজা-সেৱাদি গোঁসানীৰ সন্মুখত হুচৰি আৰম্ভ কৰিহে গাঁৱত হুচৰি মাৰিছিল আৰু ব'হাগৰ প্ৰথম বুধবাৰৰ দিনাৰ পৰাহে হুচৰি আৰম্ভ কৰিছিল। এই পৰম্পৰা বৰ্তমানেও দেউৰী-চুতীয়া আৰু মৰাণ-চুতীয়াসকলৰ মাজত বৰ্তি আছে। চুতীয়াসকলৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰাৰ ফলত পূৰ্ব পৰম্পৰা এৰি মানুহ বিহুৰ দিনাৰ পৰা হুচৰি আৰম্ভ হয়। এই হুচৰি বৰ্তমান গোঁসনীথান ঘৰৰ পৰিবৰ্তে নামঘৰত সেৱা-অৰ্চনা কৰি আৰম্ভ কৰে।

মানুহ বিহুৰ পিছদিনা বহু ঠাইত গোঁসাই[৮] বিহু হিচাবে পালন কৰা হয়। পূৰ্বতে গোঁসাই বিহুৰ দিনা চুতীয়া গাঁৱত পুৱাতে গোঁসই বা গোঁসানীৰ মূৰ্ত্তিক গা-ধোৱাই দোলাত তুলি ঢোলে-দগৰে শুভাযাত্ৰা কৰি গোঁসাই ফুৰোৱা হৈছিল আৰু প্ৰতিঘৰ মানুহে নিজৰ পদূলি মুখত ধূপ-চাকি জ্বলাই কাপোৰ পাৰি গোঁসাই আদৰি সেৱা লৈছিল। চুতীয়াসকলৰ মাজত প্ৰচলিত এই নিয়ম নিশ্চয় বৈষ্ণৱ পৰম্পৰাৰে প্ৰভাৱ হ'ব পাৰে। গোঁসাই বিহুৰ দিনাই চুতীয়াসকলৰ বহুতে মৃতকৰ উদ্দেশ্যে শলিতা জ্বলোৱা সকাম আৰু বিহু সকাম পাতিছিল। বহু ঠাইত মৃতকৰ সকামকে বিহু সকাম বোলা হয়।

চুতীয়াসকলৰ মাজত ডাঙৰীয়া বিশ্বাস এতিয়াও গভীৰ। গোঁসাই বিহুৰ পিছত বহু ঠাইত চুতীয়াই (বিশেষকৈ পকাপন্থীসকলে) ডাঙৰীয়া পূজা পাতে। সেই বাবেই এই বিহুক ডাঙৰীয়া বিহু বুলিও কোৱা হয়। পূৰ্বতে ডাঙৰীয়া বিহুৰ দিনা গাঁৱত ওজা-পালি আৰম্ভ কৰা হৈছিল। ইয়াত ঢোল বাদনৰ বিভিন্ন কৌশল প্ৰদৰ্শনৰ এক অঘোষিত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এই ওজা-পালি নৃত্যৰ-গীত আৰু বাদ্য কেতিয়াবা দিনে-ৰাতিয়ে চলিছিল। বৰ্তমান এই পৰম্পৰা চুতীয়া গাঁওসমূহত লুপ্ত হৈছে।

ডাঙৰীয়া বিহুৰ দৰে কৃষিজীৱী চুতীয়াসকলৰ মাজত সাত ব'হাগৰ কোনো এটা দিনত লখিমী বিহু বুলিও বিহু পতাৰ নিয়ম আছিল। বহু ঠাইত এই বিহুক মাইকী বিহু বা কুটুম বিহু বুলিও কৈছিল। এই বিহু ডাঙৰীয়া বিহুৰ পিছদিনা অনুষ্ঠিত কৰিছিল। সেইদিনা ঘৰৰ বোৱাৰীহঁতে বিহুত ঘৰৰ কাম-বনৰ পৰা আজৰি হৈ মাকৰ ঘৰলৈ যায়। এনেদৰে গাঁওখনৰ প্ৰতিটো পৰিয়ালতে জী-জোঁৱাই আৰু অন্যান্য অতিথিৰ আগমনত এক উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। সেইদিনা দিনৰ ভাগত গাঁৱৰ বোৱাৰী আৰু বুঢ়ীসকলেও বহু ঠাইত তকা-বিহু পাতে। লখিমী বিহুত সন্ধিয়াৰ লগে লগে ভঁৰাল আৰু ঘৰৰ দুৱাৰ মুখত চাকি জ্বলোৱাটো নিয়ম।

লখিমী বিহুৰ পিছদিনা চুতীয়াসকলে দেও-বিহু হিচাবে পালন কৰে। বহু ঠাইত

[৮] সম্ভৱতঃ পূৰ্বতে এই বিহুৰ নাম গোঁসানী বিহুহে আছিল। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত পিছলৈ গোঁসাই বিহুলৈ পৰিৱৰ্তন হয়।



এই বিহুক ৰঙালী বিহু বা মেলা বিহু বুলিও কোৱা হয়। এই দিনটোত চুতীয়াসকলে মুকলি ঠাইত ওচৰা-ওচৰি কেইবাখনো গাঁৱৰ মানুহ লগহৈ সমজুৱাভাৱে বিহু পাতে। সেইদিনা বিহু তলীত মেলাৰ দৰে সমাবেশ হয় আৰু এই বিহু মেলাত ঢোল, পেঁপা, গগণা, বিহু-নাম আৰু বিহু-নাচৰ এক অঘোষিত প্ৰতিযোগিতা চলে। বিহু-নাচৰ প্ৰকোপত বিহু তলীৰ মাটি চিৰাল-ফাট দিছিল বাবে এই বিহুক ফাট-বিহু বুলিও বহুতে ক'ব খোজে। উল্লেখযোগ্য যে ঢকুৱাখনা অঞ্চলত ফাট-বিহু নামে বিহুমেলা পতাৰ নিয়ম আজিও চলন্তি আছে। পূৰ্বতে এই ফাট-বিহু হাৰ্হি দেৱালয়ত সকলোৱে গোঁসানী সেৱা কৰি আৰম্ভ কৰিছিল। বহুতে এই বিহু মেলাত গছপাত বা অন্য পদ্ধতিৰে সাজ পিন্ধি মানুহে চিনিব নোৱাৰাকৈ বিভিন্ন অঙ্গী-ভঙ্গী কৰি বহুৱা নৃত্য প্ৰদৰ্শন কৰে। পূৰ্বতে চুতীয়াসকলৰ মাজত এই বিহুতেই বিহু কৰি থকা অৱস্থাত কাৰোবাৰ গাত দেও লম্ভিছিল। যাৰ গাত দেও লম্ভে সেইজনে অলৌকিক শক্তিৰ দ্বাৰা প্ৰভাবিত হৈ একোটা বিকট চিঞৰ মাৰি জপিওৱাৰ লগতে তীক্ষ্ণ দাৰ ওপৰত নতুবা বিভিন্ন কায়দাৰে নৃত্য প্ৰদৰ্শন কৰি মানুহৰ মাজত কৌতুহল জগাইছিল। এইদৰে গোটেই দিন-ৰাতি নৃত্য কৰাৰ পিছত পিছদিনা অৰ্থাৎ সাত-বিহুৰ দিনা সমবেত ৰাইজে দেওঁৰ উদ্দেশ্যে পূজা আগবঢ়ালেহে দেও শান্ত হৈছিল আৰু ভূত-ভৱিষ্যতৰ কথাও কৈছিল। সেই বাবেই এই বিহুক দেও-বিহু বা মেলা-বিহু বোলে। আনহাতে মেলা বিহুত সকলো মানুহেই হেঁপাহ পলুৱাই বিহু মাৰে আৰু বিহু উপভোগ কৰে বাবেই এই বিহুক ৰঙালী-বিহু বুলিও কোৱা হয়।

দেও-বিহুৰ পিছৰ দিনটোক সাত-বিহু বা চেৰা-বিহু বা এৰা-বিহু বোলে। পূৰ্বতে চুতীয়াসকলে দেও-বিহুৰ পিছদিনাৰ পৰা বিহু নকৰিছিল। সেইদিনা দেওক সন্তুষ্ট কৰাৰ পিছত সকলোৱে হেঁপাহ পলুৱাই বিহু মাৰি বিহু বিদায় দিছিল। সেই বাবেই এই বিহুক চেৰা বা এৰা-বিহু বুলিছিল। আনহাতে এই সাত-বিহুৰ দিনাই ৰঙালী বা মেলা-বিহুত সমবেত হোৱা বিভিন্ন গাঁৱৰ বিহু দলবোৰৰ মাজত এৰা-এৰি হোৱা বা ফাট খোৱাৰ বাবে এই বিহুক এৰা-বিহু বা ফাট-বিহু বুলিও বহুতে ক'ব খোজে।

উল্লেখযোগ্য যে, অঞ্চল বিশেষে এই সাত-বিহুক একাদিক্ৰমে ইদিনাৰ পিছত সিদিনাকৈ নেপাতি সুবিধা অনুযায়ীও পাতিছিল। এসময়ত চুতীয়াসকলৰ মাজত বহুল ভাৱে প্ৰচলন থকা এই সাত বিহু পৰিস্থিতি আৰু পৰিবৰ্তনৰ দুমোজাত পৰি আজিৰ চুতীয়াসকলে পাহৰি পেলালে। অতীতৰ বিহুৰ আচাৰ ৰীতি এতিয়া সাধুকথাহে হ'লগৈ। চুতীয়া লোক অধ্যুষিত ভিতৰুৱা কেতবোৰ অঞ্চলত চুতীয়াসকলৰ পুৰণি বিহুৰ ৰীতি-নীতিবোৰ এতিয়া বয়সস্থ লোকসকলৰ মুখতহে শুনা যায়। বৰ্তমান চুতীয়াসকলৰ লগতে সমগ্ৰ অসমীয়া সমাজখনত ব'হাগ বিহু বুলিলে কেৱল গৰু বিহু আৰু মানুহ বিহুৰ মাজতে সীমাবদ্ধ।

**হুচৰি ঃ**

পূৰ্বতে চুতীয়াসকলে ব'হাগৰ প্ৰথম বুধবাৰৰ দিনা গোঁসানী থানত প্ৰথম হুচৰি

আৰম্ভ কৰিছিল। বৰ্তমান নামঘৰত হুচৰি আৰম্ভ কৰি প্ৰথমে গাঁওখনৰ মুৰব্বীজনৰ ঘৰত আৰু তাৰ পিছত গাঁওখনৰ এমূৰৰ পৰা একাদিক্ৰমে ধনী-দুখীয়া নিৰ্বিশেষে প্ৰতিঘৰ মানুহৰ ঘৰত হুচৰি গায়। এইদৰে ঘৰে ঘৰে বিহু মৰাত চুতীয়াসকলে কিছুমান নিয়ম মানি চলে। প্ৰতিঘৰৰ পদুলিৰ জপনা বা নঙলা মুখত ঢোলৰ ঘাট মাৰি 'গৃহস্থৰ কুশলৰ অৰ্থে হৰি বোলা হৰি' বুলি হুচৰি দলটোৱে উচ্চ স্বৰে চিঞৰি মঙ্গল সূচক ধ্বনি দি পদুলী মুখত ঢোলাৰ ঘাট মাৰি ঘূৰি ঘূৰি পদ দি থাকে। গৃহস্থই যথা ৰীতিৰে আদৰণি জনালেহে তেওঁৰ ঘৰলৈ যোৱাৰ নিয়ম। আগতে হুচৰিৰ গীত-পদবোৰ বুৰঞ্জীমূলক কিছুমান আখ্যান আছিল। পূৰ্বতে গোৱা হুচৰিৰ কেইফাকিমান গীত-পদৰ উদ্ধৃতি দিয়া হ'ল -

হুচৰি এ চ'ত আছিলি ক'ত
সদিয়াৰ আঁহতৰ তলত
হুচৰি এ চ'ত আছিলি ক'ত
আমি যে ওমলো য'ত
দুবৰি নগজে ত'ত
—
হুৰাই ল সৰগৰ তৰা
চাই থাক চাই থাক নিলগৰপৰা
—
হাতত কাঁড়ে ফাই ল হেৰ দদাই
মাৰ অ' মাৰ অ' বালি চৰাই।

পূৰ্বতে যেতিয়া চুতীয়াসকলে ব'হাগৰ প্ৰথম বুধবাৰটোৰ পৰা বিহু আৰম্ভ কৰিছিল তেতিয়া হুচৰি পদত গাইছিল -

হাচতি ঐ চ'ত, বিচতি ঐ চ'ত
বুধে গৰু-বিহু, মঙলে উৰুকা
বিহু গৈ আছিলি ক'ত?

আৰু -

... 'বগে ধৰি খালে লুইতৰ শিশু,
মঙ্গল বাৰে উৰুকা বুধবাৰে বিহু
তাৰ পাছৰ দিনা মনিচৰ বিহু।' ...

চুতীয়াসকলে দুটোপিয়া ঘৰত বাস কৰিছিল। বৰাহী চুতীয়াৰ পৰাই এই ঘৰৰ চানেকি স্বৰ্গদেৱ চুকাফাই গ্ৰহণ কৰিছিল। সময়ৰ গতিত এই ঘৰৰ চানেকি সমগ্ৰ অসমীয়া সমাজলৈ বিয়পি পৰিছিল। চুতীয়াসকলৰ হুচৰিৰ পদত এতিয়াও গায় -

দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী



কেতেকী মলে-মলায় ঐ গোবিন্দাই ৰাম।
দেউতাৰ বৰেঘৰ দেখোঁতে ভয়ঙ্কৰ
দুই টোপত ফুল চতি কৰা ঐ গোবিন্দাই ৰাম।

চুতীয়াসকলৰ মাজত ফুল কোঁৱৰ, মণি কোঁৱৰ আৰু জনা গাভৰু গীতৰ বহুল প্ৰচলন আছিল। সেয়ে হুচৰিৰ পদত গায় -

শলদেউ ৰজাৰ পুতেক মণি কোঁৱৰ
কোলাতে খতি খনে নাই।
এবেলা দোলাতে এবেলা ঘোঁৰাতে
এবেলে খেলি খেলায়।

সেইদৰে -

মালিনী বাৰীতে পৰি ফুল কোঁৱৰে
চৌপাশে মেলিলে হাত
সেউতী মালতী আৰু গুৰামালী
সবেও মেলিলে পাত।

আকৌ -

... সদিয়াৰ জীয়াৰী নানিবি ককাইদেউ উঘা ঘুৰাহেন ঘুৰে।
গৰুচৰ ৰাজৰ জীয়াৰী নানিবি ককাইদেউ লোকৰ ঘৰে ঘৰে ফুৰে।
নামচাঙৰ জীয়াৰী আনিবি ককাইদেউ খোপাত এতোলা সোণ। ...

চুতীয়াসকলৰ মাজত প্ৰচলিত বিহু নামসমূহৰ যোগেদি অতীত ইতিহাস, সমাজ-ব্যৱস্থা, সাজ-পোচাক, খাদ্য আদিৰ আভাস পোৱা যায়। এনেধৰণৰ কেইটিমান বিহু-নাম আৰু যোজনা উদ্ধৃতি দিয়া হ'ল ঃ

চুতীয়াসকলৰ মাজত শ্ৰীলুইতক লৈ বহুতো জনবিশ্বাস আছে। সেইহে বিহু গীতত গায়-

চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো
চিৰি লুইতলৈ চাই
চিৰি লুইতৰ ৰূপালী পানীতে
চেনাই নাৰে মেলি যায়।

বিহুৰ সময়ত পৰ্বত-ভৈয়াম সকলোতে সমানে বিহুৰ প্ৰভাৱ পৰে। সেয়ে বিহু গীতত গায় -

নগাৰে চাঙতে পেঁপাটি বজালে
ডফলাই ধৰিলে তকা
মিকিৰ বৰেচাঙত বজাই বৰেকাঁহী
ভৈয়ামত বজালে ঢোল।

এওঁলোকৰ বসতি প্ৰৱল।[৬০]

আৰ্যসকলৰ দৰে আলপাইনসকলো পশ্চিমৰ মিথিলা, কনৌজ আদি ঠাইৰ পৰা অসমলৈ আহিছিল। ডেল্টনৰ মতে, তেওঁলোকেই অসমত প্ৰথম আৰ্য বসতি স্থাপন কৰে।[৬১] বৰ্তমান অসমৰ কলিতাসকল এই গোষ্ঠীৰ লোক বুলি ড° বাণীকান্ত কাকতি, কালিৰাম মেধি, কনকলাল বৰুৱা, প্ৰতাপ চন্দ্ৰ চৌধুৰী আদি পণ্ডিতে মত পোষণ কৰে। কনকলাল বৰুৱাৰ মতে, বৈদিক আৰ্যসকলৰ আগতে পূব ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ গঠন আৰু বিকাশত আলপাইনসকলে বিশেষ অৱদান আগবঢ়াইছিল।[৬২] অসমৰ বাহিৰেও বিহাৰ, নেপাল, দক্ষিণ ভাৰত আদি বিভিন্ন ঠাইত আলপাইন মানুহ সিঁচৰতি হৈ আছে। তেওঁলোক কেনেকৈ চাৰিওফালে বিক্ষিপ্ত হৈ পৰিল সেই কথা বেডেন পাৱেলে তেওঁৰ **Indian Village Community** নামৰ গ্ৰন্থত আলোচনা কৰিছে।[৬৩]

**মঙ্গোলয়দ/মঙ্গোলীয়** ঃ উত্তৰ-পূব আৰু পূব ভাৰতৰ অধিকাংশ লোকেই মঙ্গোলীয় মানৱ গোষ্ঠীৰ। ভাষা আৰু দোৱানৰ ওপৰত ভিত্তি কৰি কৰা মানৱ প্ৰজাতিৰ শ্ৰেণীবিভাজন মতে খাচী-জয়ন্তীয়াসকলৰ বাহিৰে ভাৰতৰ সকলো মঙ্গোলীয় লোক **চীন-তিব্বতীয়** (Sino-Tibetan) বা **তিব্বতো-চাইনিজ/তিব্বতো-চীনী** (Tibeto-Chinese) ভাষা গোষ্ঠীৰ অন্তৰ্গত। এই ভাষাগোষ্ঠীটোক আকৌ দুটা ভাগত ভাগ কৰা হৈছে - (ক) **তিব্বতো-বৰ্মী** (Tibeto-Burman) আৰু (খ) **চিয়ামিজ-চাইনিজ** (Siamese-Chinese)।

**তিব্বতো-বৰ্মী** ভাষাগোষ্ঠীটো পাঁচটা ভাষাগোষ্ঠীৰে গঠন হৈছে। সেইকেইটা হ'ল - (১) তিব্বেতান (Tibetan), (২) হিমালয়ান (Himalayan), (৩) পৰিৱৰ্তিত হিমালয়ান দোৱান (Himalayan Dialects with some grammatical modification), (৪) উত্তৰ অসম (North Assam), আৰু (৫) অসম-বৰ্মী (Assamese-Burmese)।

অসমৰ উত্তৰৰ পৰ্বতমালাত বাস কৰা **হ্ৰুছ'** (অকা), মিছিং (মিৰি), **আদি** (আবৰ), **নিচি** (ডফলা), **মিচিমি** আদি পৰ্বতীয়া লোকসকলৰ ভাষা/ দোৱানবোৰ **উত্তৰ অসম** ভাষাগোষ্ঠীৰ অন্তৰ্গত।

**অসম-বৰ্মী** ভাষাগোষ্ঠীটোৱে উত্তৰ আৰু পূৰ্ববঙ্গ, অসম আৰু ব্ৰহ্মদেশৰ ভাষা/ দোৱানবোৰ সামৰি লৈছে। এই ভাষাগোষ্ঠীটোক পাঁচ ভাগত বিভক্ত কৰা হৈছে -

(১) বড়ো (Bodo) ঃ বড়ো, মেচ, ৰাভা, গাৰো, কছাৰী ইত্যাদি ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকসকলৰ ভাষা।

(২) নগা ভাষা/ দোৱান (Naga Dialects) ঃ আও, আঙ্গামী, চেমা, টংখুল, চংটেম, কন্যাক, লুথা, মাও, কুবাই আদি আসম পৰ্বতমালাবাসী লোকসকলৰ ভাষা/ দোৱান।

(৩) কুকী-চীন (Kuki-Chin) ঃ মণিপুৰী (মেইথেই - Meithei), ত্ৰিপুৰী, মিজো (লুচাই) আদি লোকসকলৰ ভাষা।

(৪) কাচিন-লুলু (Kachin-Lolo) আৰু (৫) ম্যানমাৰী বা বৰ্মী (Mayanma or Burmese) - এই দুটা ভাগে ব্ৰহ্মদেশ (ম্যানমাৰ)ৰ ভাষা আৰু দোৱানবিলাক সামৰি লৈছে।

উত্তৰ পূৰ্বাঞ্চলৰ (পুৰণি অসমৰ) খাচী-জয়ন্তীয়াসকল অষ্ট্ৰিক ভাষা গোষ্ঠীৰ লোক। টাই/থাই গোষ্ঠীৰ খামতি, আহোম আদি লোকসকল **চীন-তিব্বতীয়** ভাষা গোষ্ঠীৰ **চিয়ামিজ-চাইনিজ** শাখাৰ অন্তৰ্গত।[৬৪]

ভাৰতীয় ধ্ৰুপদী সাহিত্যত মঙ্গোলীয়সকলক **কিৰাট** বোলা হৈছে। আৰ্যসকলে তেওঁলোকক হেয় চকুৰে চাইছিল, কাৰণ, তেওঁলোকৰ জীৱন-ধাৰণৰ প্ৰণালী, খাদ্যাভাস আৰু সামাজিক মূল্যবোধবোৰ আৰ্যসকলৰপৰা সম্পূৰ্ণ পৃথক আছিল। উদাহৰণস্বৰূপে, **মহাভাৰত**ত তেওঁলোকক ম্লেচ্ছ বা অসভ্য বুলি কোৱা হৈছে।[৬৫] **পদ্ম পুৰাণ**ৰ মতে, কিৰাটসকলে সকলো বস্তুকে ভক্ষণ কৰিছিল। তেওঁলোকৰ ভাষা আছিল পিশাচী চৰিত্ৰৰ আৰু তেওঁলোকৰ কোনো সামাজিক নীতি-নিয়ম নাছিল।[৬৬] খ্ৰীষ্টীয় দশম শতিকামানত অসমত ৰচিত **কালিকা পুৰাণ**ৰ মতে, কিৰাটসকলৰ গাৰ ৰং আছিল হালধীয়া। তেওঁলোক বলী আৰু ভয়ংকৰ আছিল, মাংস ভক্ষণ আৰু সুৰাপান কৰিছিল।[৬৭] প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্তই তেওঁৰ চীনা আৰু কিৰাট সৈন্যবাহিনী লৈ যেতিয়া কুৰুক্ষেত্ৰৰ ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈছিল, তেতিয়া পাণ্ডৱ শিবিৰত ত্ৰাসৰ সঞ্চাৰ হৈছিল।[৬৮] তেওঁলোকৰ দৈহিক চৰিত্ৰৰ আন কেইটামান বৈশিষ্ট্য হ'ল -ক'লা ঢৌ খেলা চুলি, কম ডাড়ি-গোফ আৰু সৰু চকু। কিন্তু বহুত বছৰৰ আগতেই অষ্ট্ৰিক, দ্ৰাবিড়ী আৰু আৰ্যসকলৰ লগত তেওঁলোকৰ তেজৰ সংমিশ্ৰণ ঘটাত এই বিশেষ লক্ষণবোৰ তেওঁলোকৰ সকলোৰে মাজত আজি দেখা পোৱা নাযায়।

মঙ্গোলীয়সকলৰ আদি বাসস্থান আছিল উত্তৰ-পশ্চিম চীন দেশৰ ইয়াং-চি-কিয়াং আৰু হোৱাং-হু নদীৰ আগাৰিত। সম্ভৱতঃ খ্ৰীঃ পূঃ দুহাজাৰ বছৰমান আগৰেপৰা

---

[৬১] **Descriptive Ethnology of Bengal**, 1872, reprinted with the new title **Tribal History of Eastern India**, New Delhi, 1978,p.321.

[৬২] **Studies in the Early History of Assam**, being a collection of essays by K.L. Barua, (ed.) M. Neog, Jorhat : Guwahati, 1973,p.131.

[৬৩] p.135 ff.

[৬৪] **Kirata-Jana-Kriti**, pp. 22f.

[৬৫] **Udyoga Parva**, CLXVI, 5804, cited in B.K. Barua, op.cit, p. 16.

[৬৬] Chapter 57; N.N. Vasu, **Social History of Kamarupa**, Calcutta, 1922, p. 71.

[৬৭] ৩৯/১০৪; B.K. Barua, op. cit, p. 5.

[৬৮] Choudhury, op. cit, p.116; **The Comprehensive History of Assam**, vol.1p. 82.

অতীতৰ পৰাই চুতীয়াসকলৰ মাজত প্ৰচলিত অন্য কেইটামান বিহু-নাম হৈছে -

... হাঁচটি হাঁচটি কৰণা দেউহঁত
হাঁচটি থৈছোঁ বই।।
... ... ...
গাত লৈ ফুৰালে বতাহে ফালিব
মুঠিত লৈ ফুৰাহে ভাল।
এআগে বাছিলো সেউতী মালতী
এআগে বাছি যাওঁ ফুল।।
এআগে বাছিলোঁ ভাঘে ভালুকে
বাটত মানুহ ধৰি খায়।
এআগে বাছিলোঁ চৰাই হালধীয়া
উৰি সদিয়ালৈ যায়।।
... কুন্দিলৰ আগাৰিত ওখকৈ শিমলু
তাতে লয় কুৰুৱাই বাঁহ।
সদিয়া ৰাজত ঐ চাৰিশাল গোঁসানী
তালৈ নমস্কাৰ কৰো।
সোণৰে জখলা ৰূপৰ হেতামাৰি
আহে চাৰিশালী নামি।
... ... ...
ভৰিৰ গিৰিপনি মাৰা ভালেকৰি
গৰুচৰ ৰাজলৈ শুনে।
কুন্দিলত উপজিল কুন্দিলৰ দেউৰী
মহগুত উপজিল লোণ।
শামুকৰ পেটত মাণিক উপজিল
মৰি মৰি উপজিল জোন।
জোনৰে সাৰথি জোনাকি পৰুৱা।
সৰগৰ সাৰথি তৰা।।
আমাৰে গোঁসানী আমাৰে সাৰথি।
গা-ধুই কৰি যাওঁ সেৱা।।
সদিয়াত আছে ঐ চাৰিশাল গোঁসানী।
তালৈ কৰিছোঁ সেৱা।।



**কাতি বিহু ঃ**

আহিন আৰু কাতি মাহৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰা হয়। চুতীয়াসকলৰ বাবে কাতি বিহু অন্য দুটা বিহুৰ দৰেই এটা কোবাল বিহু। খাদ্যৰ প্ৰাচুৰ্যতা নথকাৰ বাবেই এই বিহুক কঙালী বিহু বোলা হয় যদিও, এই বিহু কঙালী নহয়। এই সময়খিনিত আহুধান চপাই শেষ হয়, মাহ আৰু অন্যান্য শস্যও সিঁচি শেষ কৰি খেতি পথাৰৰ কামৰ পৰা মানুহ আজৰি হয়। তদুপৰি শৰৎ ঋতুৰ আগমণৰ দৰে এটা মনোৰম সময়ত উদ্‌যাপিত হোৱা কাতি বিহুৰ এটা সুকীয়া মাদকতা আছে।

কাতি বিহুৰ আনুসঙ্গিক অনুষ্ঠান হ'ল পথাৰত চাকি দিয়া আৰু ঘৰত তুলসী পুলি ৰোৱা। কাতি বিহুৰ দিনা সন্ধিয়াৰ আগে আগে কৃষিজীৱী প্ৰতিঘৰ মানুহে নিজৰ পথাৰত চাকি একোগছি জ্বলায়। সেইদিনা পথাৰত চাকি জ্বলালে কীট-পতঙ্গৰ পৰা শস্য ৰক্ষা পায় বুলি এটা বিশ্বাস আছে। সন্ধিয়াৰ লগে লগে দিনতেই ৰুই থোৱা তুলসীৰ পুলিৰ তলত চাকি দি তুলসী পূজা পতাৰ লগতে পদুলিৰ মুখত, ভঁৰালৰ গাঁন্ধৈত আৰু ঘৰৰ সকলো দুৱাৰ মুখত একোগচ চাকি জ্বলায়। কাতি বিহুৰ দিনা গাঁওবিলাক চাৰলৈ বৰ ধুনীয়া লাগে।

চুতীয়াসকলে তুলসী গছক লক্ষ্মী স্বৰূপা পবিত্ৰ জ্ঞান কৰে। চুতীয়া সমাজত প্ৰচলিত তুলসী পূজাও এক প্ৰকাৰৰ লখিমী পূজা। কাৰণ পথাৰত চাকি দিয়াৰ দিনাই সন্ধিয়া ঘৰৰ চোতালত তুলসী পূজা পতাৰ মাজত নিশ্চয় সামঞ্জস্য আছে। কিংবদন্তি আছে যে সেইদিনা যাৰ ঘৰতে চাকি দেখে তালৈকে লখিমী যায়। তদুপৰি এই পূজাত চুতীয়াসকলৰ মাজত প্ৰচলিত লখিমী পূজাৰ নামহে লোৱা হয়। পূৰ্বতে তুলসী পূজাত চুবুৰীৰ বুঢ়ী গোপিনীসকলে এফালৰ পৰা ঘৰে ঘৰে তুলসীৰ তলত দুই এষাৰ লখিমী আইৰ নাম লৈ পূজা ভাঙি খাই গৈছিল। বৰ্তমান তুলসী পূজাত বুঢ়ী গোপিনীসকলৰ পৰিৱৰ্তে সৰু ল'ৰা-ছোৱালীসকলে অংশ গ্ৰহণ কৰা দেখা যায়। সেই দিনাৰ পৰা সমগ্ৰ কাতি মাহতেই তুলসীৰ তলত চাকি দিয়া হয়। কাতি বিহুৰ এই পৰম্পৰা অপৰিবৰ্তিত ৰূপত এতিয়াও চলি আছে।

**মাঘ বিহু ঃ**

পুহ মাহৰ শেষত অৰ্থাৎ পুহ আৰু মাঘ মাহৰ দুমাহী দিনা মাঘ বিহু পতা হয়। মাঘ বিহুৰ উল্লেখযোগ্য অনুষ্ঠান তথা মূল আকৰ্ষণ হ'ল মেজি জ্বলোৱা আৰু সমূহীয়াভাৱে সকলোৱে মিলি এসাজ খোৱাটো। কৃষিজীৱী সকলো লোকৰ আঘোণ-পুহ মাহতে খেতি চপাই শেষ হয়। নদী, খাল, বিলবোৰতো পানী শুকাই মাছ-পুঠিৰ উভৈনদীৰে হৈ পৰে। মুঠতে এই সময়ছোৱাত শস্য, মসশ্য, গাখীৰ আদি সকলো বস্তুৰে নদন-বদন হৈ পৰে। খাদ্যৰ প্ৰাচুৰ্যতা থকাৰ বাবেই এই বিহুক ভোগালী বিহু বুলিও কোৱা হয়।

চুতীয়াসকলেও মাঘ বিহু অন্য দুটা বিহুৰ দৰেই অতি উলহ-মালহেৰে আৰু

বিভিন্ন নীতি-নিয়মেৰে উদ্‌যাপন কৰে। পূৰ্বতে চুতীয়াসকলে মাঘ বিহু মাঘৰ প্ৰথম বুধ বাৰৰ পৰাহে আৰম্ভ কৰিছিল যদিও বৰ্তমান পুহ আৰু মাঘৰ দুমাহীৰ দিনা পালন কৰে। চুতীয়াসকলৰ সমগোত্ৰীয় দেউৰী আৰু মৰাণসকলৰ মাজত এতিয়াও মাঘৰ প্ৰথম বুধবাৰৰ পৰাহে মাঘ বিহু পতাৰ নিয়ম প্ৰচলন আছে। চুতীয়াসকলৰ মাজত পূৰ্বৰ পৰম্পৰাৰ অংশবিশেষ হিচাবে এতিয়াও মাঘৰ প্ৰথম বুধবাৰৰ দিনাহে আহু ধান সিঁচাৰ আৰম্ভ কৰে।

মাঘ বিহুৰ উৰুকাৰ দিনা প্ৰতিখন গাঁৱত বা চুবুৰি বিশেষে সমূহীয়াকৈ মেজি সাজি ৰাতিলৈ সমজুৱা ভোজ-ভাত খোৱা হয়। মেজি আৰু ভেলাঘৰ সাজিবৰ বাবে এসপ্তাহমানৰ আগৰ পৰাই গাঁৱৰ ল'ৰা আৰু ডেকাসকলে খৰি আৰু নৰা গোটাবলৈ আৰম্ভ কৰে। উৰুকাৰ দিনা মেজি আৰু আহল-বহলকৈ ভেলাঘৰ সজা হয়। চুতীয়াসকলে মেজি সাজোতে কিছুমান নিয়ম মানি চলে। মাটিত যোগ চিনৰ আকাৰত এটা গাঁত খান্দি তাৰ ওপৰত বাঁহ বা সৰু হেঙাল গছৰ আগেৰে সৈতে থকা খুটা পুতিবৰ জোখেৰে চাৰিটা গাঁত খান্দে। মূল গাঁতটোৰ মাজত এখন আগলি কলপাতত দক্ষিণাসহ তামোল-পাণ দি সকলোৱে সেৱা কৰি জয়ধ্বনি দি ধৰাধৰিকৈ প্ৰথম খুটাটো পুতে। ইয়াৰ পিছত বাকী তিনিটা খুটা পুতি খুটাবোৰৰ মাজত যোগ চিনৰ আৰ্হিত খৰি জাপি জাপি তাৰ মাজে মাজে পানী-হিলৈ আৰু কেঁচা বাঁহৰ আগ সুমুৱাই দিয়ে আৰু নিৰ্দিষ্ট দূৰত্বত চাৰিওটা খুটা যুতি চাওনি গাঠি যায়। এনেদৰে খৰি জাপি প্ৰায় ১৫ ফুটমান ওখ কৰি মেজি সাজে আৰু একেবাৰে ওপৰত চাৰিওটা খুটা যুতি বন্ধাৰ পিছত মেজিত কাউৰি-শগুণ নপৰিবৰ বাবে এখন ধনু সাজি কাড়টো ওপৰলৈ কৰি বান্ধি দিয়ে। মেজি সজাৰ লগে লগে ধানৰ নৰাৰে ভেলা ঘৰো সাজি শেষ কৰে। মেজি আৰু ভেলাঘৰ সজাৰ পিছত মেজি আৰু ভেলাঘৰৰ চৌহদ চাফ-চিকুণ কৰি গধূলীলৈ আনন্দ-উলাহৰ মাজেৰে ভোজৰ আয়োজন কৰে। সেইদিনা ল'ৰা আৰু ডেকাসকলে বিভিন্নধৰণে ৰং-ৰহইচ কৰি ৰাতিটো মেজিৰ স্থলীতে কটায়। ৰাতি কাৰোবাৰ ঘৰৰ পুৰণি জেওৰা-জপনা, কাৰোবাৰ শাক-পাচলি আদি চুৰ কৰি আনন্দ কৰে। ইফালে সৰু চামে দল বান্ধি গাঁওখনৰ বা চুবুৰীটোৰ প্ৰতিঘৰতে হৰিধ্বনি দি ফুৰে। হৰিধ্বনি দিওঁতে প্ৰয়োজন সাপেক্ষে কাৰোবাৰ ঘৰত ল'ৰা জন্ম হ'বলৈ, ডেকা-গাভৰু থকা ঘৰত সোনকালে বিয়া হ'বলৈ, ৰুগীয়া মানুহ থকাৰ ঘৰত সোনাকালে আৰোগ্য হ'বলৈ, দুখীয়াৰ ঘৰত ধনে-ধানে চহকী হ'বলৈ বুলি আশীৰ্বাদ দিয়ে। গৃহস্থয়ো তেওঁলোকক যথাসাধ্য অৰিহণা, চাউল, শাক-পাচলি, পিঠা-পনা আদি দিয়ে আৰু কোনোবাই পিছৰ বছৰত মেজি ভোজৰ বাবে হাঁহ একোটা দিম বুলি প্ৰতিশ্ৰুতি দিয়ে।

ঠাই বিশেষে মেজি ভোজত গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলেও অংশগ্ৰহণ কৰে। বয়োজ্যেষ্ঠসকলে ভোজ খাই বৈ ঘৰাঘৰি যোৱাৰ পিছতহে ডেকাসকলে জেওৰা-জপনা



আদি চুৰ কৰা ধেমালিবোৰ কৰে। সেইদিনা কাৰোবাৰ ঘৰৰ পুৰণি উৰলি যোৱা জেওৰা একোখন নিলেও কোনেও বেয়া নেপায়। অৱশ্যে ডেকাহঁতেও এই সমূহীয়া চুৰ কৰা প্ৰথাটোত কাৰোবাৰ অনিষ্ট হোৱাকৈ নকৰে। এইটো এটা ধেমালিহে।

এনেদৰে গোটেই ৰাতিটো ৰং-ৰহইচ কৰি পুঁৱতি নিশা সকলোৱে পুখুৰীত বা নদীত গা ধুই আহি মেজিৰ ওচৰত আঠু লৈ সেৱা কাৰি জয়ধ্বনি দিয়ে আৰু এজনে 'অগ্নি প্ৰজ্বলিতং স্বাহাঃ' বুলি মন্ত্ৰ উচ্চাৰণ কৰি মেজিত অগ্নি সংযোগ কৰে। পুৱাৰ সময়ত গাওঁৰ সকলো মানুহেই গা-পা ধুই মেজি পুৱাবলৈ আহে। গাঁৱৰ প্ৰত্যেক ঘৰ মানুহেই মেজি পুৱাবলৈ আহোঁতে ভজা কৰাই গুড়ি আৰু মাহ লৈ আহি প্ৰথমে অগ্নি দেৱতাক দিয়াৰ পিছত সকলোৱে ভগাই খায়। চুতীয়াসকলে মাঘ মাহতো ডাঙৰ মাহ আৰু মেজি জ্বলোৱা দিনাৰ পৰাই গোটেই মাঘ মাহটোৰ বাবে অগ্নি শ্ৰেষ্ঠ দেৱতা বুলি বিশ্বাস কৰে। পূৰ্বতে মেজি পুৱাই থকা অৱস্থাতেই মেজিৰ স্থলীত ডেকাসকলৰ মাজত মাল যুঁজ মৰাৰো নিয়ম প্ৰচলিত আছিল। এই যুঁজত যিজন ডেকাই সকলোকে পৰাজিত কৰিব পাৰিছিল তেওঁকে সকলোৱে গোটেই বছৰটোৰ বাবে শ্ৰেষ্ঠ বীৰ বুলি আখ্যা দিছিল। বৰ্তমানেও সেই প্ৰথা চুতীয়া অধ্যুষিত কিছুমান ভিতৰুৱা গাঁৱত প্ৰচলন আছে। মেজি পুৱাৰ পিছত যিবিলাক গৃহস্থৰ ম'হ আছে তেওঁলোকে ম'হ আনি মেজিৰ পকা অঙঠা এডোখৰ হাতেৰে তুলি লৈ ম'হৰ কপাল টান হ'বলৈ ম'হটোৰ কপালত মাৰি নিয়েহি।

মেজিৰ পুৱাৰ দিনা অৰ্থাৎ বিহুৰ দিনা পুৱতি নিশাতে সকলো গৃহস্থই ঘৰৰ খুটা, বাৰীৰ তামোল-আম-কঠাল আৰু অন্যান্য ফলমূলৰ গছবোৰ বাঁহ-বেতৰ টমাল বা খেৰেৰে বন্ধাটো নিয়ম। এনে কৰিলে প্ৰাকৃতিক দুৰ্যোগে ঘৰৰ অনিষ্ট কৰিব নোৱোৰে আৰু গছ-গছনিবোৰত ডালভৰি ফল-ফুল লাগে বুলি বিশ্বাস। ঘৰৰ খুটা আৰু গছ-গছনি বন্ধাৰ পিছত ঘৰৰ ওপৰেৰে চাৰিওদিশে চাৰিটা দলি চপৰা মৰাটো নিয়ম। এনে কৰিলে ঘৰত অপদেৱতাই অনিষ্ট কৰিব নোৱাৰে বুলি বিশ্বাস কৰা হয়।

বিহুৰ দিনা সকলো জীয়াৰী-বোৱাৰীয়ে ঘৰ-দুৱাৰ মচি-কাচি চাফ-চিকুণ কৰি জা-জলপানৰ দিহা কৰে। সেইদিনা দিনত ভাত খোৱা নহয়। জীয়াৰী-বোৱাৰীসকলে এসপ্তাহমানৰ আগৰ পৰাই চিৰা, সান্দহ আদি খুন্দি আৰু লগতে মুড়ি, আখৈ, হুৰুম আদি ভাজি বিহুৰ আয়োজন কৰে। উৰুকাৰ দিনা পিঠা খুন্দি ৰাতি দুপৰলৈকে বিধে-বিধে তিল পিঠা, বৰ পিঠা, ঘিলা পিঠা, হুতুলি পিঠা, টেকেলি পিঠা আদি পোৰাৰ লগতে তিলৰ লাৰু, নাৰিকলৰ লাৰু, মুড়িৰ লাৰু আদি বনোৱা কামবোৰ কৰে। এইবোৰৰ উপৰিও বিহুৰ দিনা চুতীয়াসকলৰ প্ৰিয় খাদ্য চুঙা চাউল আৰু চুঙা পিঠা বিহুৰ জলপানত নহ'লেই নহয়। সেইদিনা কাঠ আলু নাইবা মোৱা আলু নাখালে পিছৰ জনমত গাহৰি হয় বুলি বিশ্বাস। গতিকে বিহুৰ জলপানত কাঠ আলু নাইবা মোৱা আলু অপৰিহাৰ্য। বিহুৰ জলপান খোৱাৰ আগতে ঘৰৰ জ্যেষ্ঠসকলক সেৱা-সৎকাৰ কৰা হয়।

মাঘ বিহুৰ দিনা ম'হ-যুঁজ অনুষ্ঠিত কৰাটোও বিহুৰ এটা আনুসঙ্গিক অনুষ্ঠান আছিল। সেইদিনা দিনৰ বাৰমান বজাৰপৰা মহ যুঁজাবলৈ যো-জা কৰে। ম'হৰ গৃহস্থৰ ঘৰলৈ ৰাইজৰ প্ৰতিনিধি গৈ ম'হ খুজি আনেগৈ। এনেকৈ ম'হ আনি ৰাইজে পথাৰৰ মাজলৈ লৈ যায়। ম'হ খোজাৰ আগতে ম'হ হাড় কৰি যুঁজাবনে নাকি কৰি যুঁজাব তাক ঠিক কৰি লৈ সেই মতে ম'হ যুঁজায়। ম'হ যুঁজ এৰুৱাবলৈও মানুহ ঠিক কৰি থোৱা হয়। যুঁজত হাৰি কোনোবা ম'হ পলালে খেদি যোৱা ম'হটোৰ নেজত ধৰি দুই তিনিজন ডেকাই ম'হটোৰ পিছ ভৰিত ভৰ দি ওলমি দিয়ে আৰু পলোৱা ম'হটো গৈ কোনোবা ধুবুৰী পায়গৈ। ইয়াৰ পিছত গৃহস্থই ম'হৰ নাকি লগাই নিজ নিজ ম'হ ঘৰলৈ লৈ যায়। কেতিয়াবা যুঁজত ম'হৰ তাকুৰি শিঙিয়া শিং আনটো ম'হৰ শকত গলধনত সোমাই লাগি ধৰে। তেতিয়া মানুহে বাঁহ ভৰাই শিং ফেটেঙা কৰি গলধনৰ পৰা শিং এৰুৱাই দিয়ে। কোনোবা ম'হ যুঁজত মৰিলে পইচা তুলি ম'হৰ দাম মৃত ম'হৰ গৰাকীক দিয়ে। ম'হ যুঁজ চাবলৈ লোকে লোকাৰণ্য হয়।

মাঘৰ প্ৰথম দিনটোত চুতীয়াসকলে মৃতকৰ শলিতা জ্বলোৱা সকাম বা বিহু সকাম পাতে। এই সকাম কেঁচাপন্থীসকলে কেঁচা পন্থাৰ নিয়মেৰে আৰু পকাপন্থীসকলে পকা পন্থাৰ নিয়মেৰে পালন কৰে। বহুতে দুমাহী দিনাৰ ৰাতি বিহু শলিতা জ্বলোৱা বা মৃতকৰ পাত সজোৱা অনুষ্ঠান সম্পন্ন কৰে।

এইদৰে বিভিন্ন নীতি-নিয়মেৰে চুতীয়াসকলে মাঘ বিহু উদ্‌যাপন কৰে আৰু মাঘৰ প্ৰথম সপ্তাহলৈকে সকলোৱে ঘৰে ঘৰে গৈ জা-জলপান, পিঠা-পনা খাই বিহুৰ আনন্দ উপভোগ কৰে।

মুঠতে আটাইকেইটা বিহুৰেই নিজস্ব এক সৌন্দৰ্য আৰু আনন্দ আছে। ব'হাগ বিহুত গাঁৱৰ প্ৰত্যেকৰ ঘৰতে হুচৰি গাই গৃহস্থৰ কল্যাণ কামনা কৰা হয়। মাঘ বা ভোগালি বিহুতো ইঘৰে সিঘৰলৈ গৈ জা-জলপান, পিঠা-পনা খাই গৃহস্থৰ তথা সমূহৰ ৰাইজৰ কুশল-মঙ্গল কামনা কৰে। বিহু উৎসৱে সৰুৰ পৰা বৃদ্ধলৈকে সকলোকে আনন্দ দিয়ে। বিহু সংস্কৃতিৰ অন্তৰালত সোমাই আছে সমাজৰ একতা, পাৰস্পৰিক প্ৰীতি, সদিচ্ছ আৰু প্ৰাণৰ কিছুমান আবেগ-অনুভূতি। বিহুৱে পৰিয়ালৰ সকলোৱে মাজত আত্মীয়তাৰ ভাৱ জগাই তুলে। এই পাৰিবাৰিক আৰু সামাজিক মূল্যবোধৰ বাবেই বিহু সংস্কৃতি এতিয়াও অসমীয়া সমাজত জীৱন্ত ৰূপত চলি আছে। ইয়াৰ পৰিৱৰ্তন হৈছে সঁচা কিন্তু বিহুৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা আৰু আকৰ্ষণ আজিও অটুত আছে।

# চুতীয়াসকলৰ অৰ্থনৈতিক অৱস্থা ঃ অতীত আৰু বৰ্তমান

মধ্যযুগত অসমত ৰাজ্য গঠন কৰা জনগোষ্ঠীবোৰৰ ভিতৰত চুতীয়াসকল অন্যতম। প্ৰাগ্‌জ্যোতিষ কামৰূপ বা পুৰণি অসমৰ সৌমাৰখণ্ডত ঐতিহাসিক চুতীয়া ৰাজ্য অৱস্থিত আছিল। চুতীয়া ৰাজ্যখন যে চহকী আৰু সমৃদ্ধিশালী আছিল সেই কথা বুৰঞ্জীৰ কেতবোৰ বৰ্ণনা আৰু প্ৰচলিত জনশ্ৰুতিৰ পৰাই স্পষ্ট হয়। এই নিবন্ধত চুতীয়াসকলৰ অতীত আৰু বৰ্তমানৰ অৰ্থনৈতিক অৱস্থাৰ এটি থূল-মূল আভাস দিবলৈ যত্ন কৰা হৈছে।

এইখন গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত প্ৰাচীন চুতীয়া ৰাজ্যখনৰ সম্পৰ্কে বিৱৰণ দাঙি ধৰা হৈছে। কিন্তু প্ৰাচীন চুতীয়া ৰাজ্যখনৰ অৰ্থনীতি আৰু অৰ্থনৈতিক অৱস্থাৰ বিষয়ে সঠিকভাৱে জনা সম্ভৱ নহয়। অৱশ্যে মধ্যযুগত প্ৰতিষ্ঠা হোৱা চুতীয়া ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে অসম বুৰঞ্জীসমূহৰ পৰা এটা আভাস পাব পাৰি। প্ৰকৃতাৰ্থত চুতীয়া ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা যথেষ্ট উন্নত আছিল বুলি নিঃসন্দেহে ক'ব পাৰি। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে, আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি হাতী, ঘোঁৰা, হিলৈ, বাৰু-বৰ্চা, চৰানাও, কেঁকোৰা দোলা, আৰোৱান, খাটোলা, তৰোৱাল, বেলা, পিকদান, মাইহাং, ভোগজৰা, সোণৰ তিনিচুকীয়া সিংহাসন, স্বৰ্ণ-ছত্ৰ, স্বৰ্ণ খচিত ৰাজদণ্ড আদিৰ লগতে গণক, ব্ৰাহ্মণ, তাঁতী, সোণাৰি, কমাৰ, তেলী, মালি, ধোবা, নাপিত আদি বিভিন্ন বৃত্তিয়াল লোকো পাইছিল।[1] ইমানবোৰ অভিজাত্যৰ প্ৰতীক সম্পন্ন সম্পদ আৰু বৃত্তিয়াল খেল থকা ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা কেনেকুৱা আছিল সেই কথা সহজে অনুমান কৰিব পাৰি। ইয়াৰ উপৰি চুতীয়া ৰাজ্যৰ পৰা আহৰণ কৰা যুদ্ধৰ বিভিন্ন সামগ্ৰীয়ে আহোম ৰাজ্যাৰ সমৰ শক্তি বৃদ্ধি কৰিছিল। সেই সময়ত চুতীয়া ৰাজ্যৰ বাহিৰে পুৰণি অসমৰ অন্য কোনো ৰাজ্যত হিলৈ পোৱাৰ কথা জনা নাযায়।[2] ইউৰোপৰ কোনো

[1] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৮, ১২৬, ২০০; সদৰামিনৰ **অসম বুৰঞ্জী**, পৃঃ ২৪; **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ১৪, ৫৮; **অসম বুৰঞ্জীৰ সাৰ**, পৃঃ ১৭, ১৮।

[2] উল্লেখযোগ্য যে, অসমৰ বুৰঞ্জীসমূহত হিলৈৰ প্ৰথম উল্লেখ আহোম-চুতীয়াৰ যুদ্ধৰ পৰাহে পোৱা যায়।

কোনো পণ্ডিতে আনকি এইবুলি মত প্ৰকাশ কৰে যে, অসম দেশতেই বাৰুদ প্ৰথমে তৈয়াৰ হয় আৰু ইয়াৰ পৰা বাৰুদ নিৰ্মাণৰ পদ্ধতি সৰ্বত্ৰে প্ৰচলিত হৈছিল।[৩]

সি যি কি নহওক, অৰ্থনীতি হৈছে এখন দেশ বা ৰাজ্যৰ মূল আধাৰ। ৰাজ্য এখন পৰিচালনা কৰাৰ ক্ষেত্ৰত অৰ্থনীতিয়েই হৈছে প্ৰধান চালিকা শক্তি। উৎপাদিত সামগ্ৰী আৰু সেইবোৰৰ বহিঃবাণিজ্যৰ যোগেদি ৰাজ্য এখনৰ অৰ্থনীতি সমৃদ্ধিশালী হোৱাৰ লগতে পাৰস্পৰিক আদান-প্ৰদান আৰু বহিঃবাণিজ্যৰ যোগেদি ৰাজ্যসমূহে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ আহৰণ কৰিব পাৰিছিল। ৰাজ্যসমূহৰ মাজত বহিঃবাণিজ্যৰ ক্ষেত্ৰত বিনিময় প্ৰথাৰ প্ৰচলনৰ লগতে প্ৰয়োজন সাপেক্ষে মুদ্ৰাৰো ব্যৱহাৰ হৈছিল।

বহিঃবাণিজ্যৰ ক্ষেত্ৰত চুতীয়া ৰাজ্যখন যথেষ্ট আগবঢ়া আছিল। আগৰ অধ্যায়বোৰত বিস্তৃতভাৱে আলোচনা কৰা হৈছে যে, প্ৰাচীন কালৰে পৰাই পশ্চিম ভাৰতৰ পৰা আৰম্ভ কৰি সদিয়া হৈ সুদূৰ তিব্বত, চীন, ম্যানমাৰ আদি দেশৰ লগত সংযোগ থকা এটি বাণিজ্য পথ আছিল, য'ত পাহাৰ ভৈয়ামৰ সঙ্গমস্থল সদিয়া এখন আন্তজাৰ্তিক বজাৰ ৰূপে চিহ্নিত হৈছিল।[৪] এই প্ৰাচীন পথটোকে চুতীয়া ৰজা ৰত্নধ্বজপাল ওৰফে গৌৰীনাৰায়ণে (আনুঃ ১২১০-১২৫০ খ্ৰীঃ) কমতা ৰাজ্যলৈকে পুনৰ নিৰ্মাণ কৰি[৫] কুবেৰৰ আলি নাম দিছিল।[৬] ইয়াৰ উপৰিও লুইত প্ৰমুখ্যে বিভিন্ন নদ-নদীবোৰেও চুতীয়া ৰাজ্যৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিছিল। এনে উন্নত যাতায়ত ব্যৱস্থা থকাৰ বাবেই ঐতিহাসিক চুতীয়া ৰাজ্যৰ ৰাজধানী সদিয়া বহিঃ বাণিজ্যৰ কেন্দ্ৰস্থল আছিল আৰু ফলত চুতীয়া ৰাজ্যখন সমৃদ্ধিশালী হৈ পৰিছিল।

চুতীয়া ৰাজ্যৰ বহিঃ বাণিজ্যৰ কথা আলোচনা কৰাৰ আগতে সেই ৰাজ্যৰ অৰ্থনৈতিক ভেটি কিহৰ ওপৰত প্ৰতিষ্ঠিত আছিল সেই বিষয়ে আলোচনা কৰাতো প্ৰয়োজন।

অন্যান্য ৰাজ্যৰ দৰে মধ্যযুগৰ চুতীয়া ৰাজ্যৰ সমাজখনো কৃষি ভিত্তিক আছিল। কৃষিয়েই আছিল প্ৰধান জীৱিকা আৰু ধানেই আছিল প্ৰধান খেতি। চুতীয়াসকলৰ প্ৰধান ধান খেতি হ'ল - আহু, বাও আৰু শালি। আহু খেতিৰ বাবে সাৰুৱা মাটিৰ প্ৰয়োজন। সেই বাবেই হাবি-জংঘল থকা মাটি নতুনকৈ উলিয়াই আহু খেতি কৰিছিল। এনেদৰে হাবি ভাঙি খেতি কৰাৰ পদ্ধতিয়ে পুৰণি ঝুম খেতি কৰাৰ পৰম্পৰা এটাৰ কথাকে সূচায়। আহু ধানৰ উপৰিও চুতীয়া ৰাজ্যত শালি আৰু বাও ধানৰ খেতিৰো প্ৰচলন

---

৩ বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি', **স্মৃতিগ্ৰন্থ**, সদৌ চুতীয়া জাতি সন্মিলন, অসম, সোণালী জয়ন্তী, শিৱসাগৰ, ১৯৭৪, পৃঃ ৩।

৪ বিস্তৃত বিৱৰণৰ বাবে প্ৰথম অধ্যায় চাওক।

৫ ড° মোহিনী কুমাৰ শইকীয়া, প্ৰাচীন অসমৰ এটি উল্লেখযোগ্য বাণিজ্য পথ, **কাকডোঙা**,২০০৫,পৃঃ ৫৭, ৫৮।

৬ কোযেশ্বৰ বৰুৱা, **চুতীয়া ৰজা ৰত্নধ্বজপাল**, গহপুৰ, ২০০৪, পৃঃ ৪৬-৪৭।



আছিল। আহু ধানৰ লগতে বাও ধানো সিঁচিব পাৰি। বাও ধান বানপানীত নমৰে। চুতীয়াসকলে নদী কাষৰীয়া অঞ্চলবোৰত বাস কৰিছিল। এই অঞ্চলবোৰ বাৰিষা সময়ত পানীৰে উপচি থকাৰ বাবে বাও আৰু শালি খেতিৰ কাৰণে এনে ঠাই উপযোগী হৈ পৰে, য'ত সুকীয়া জলসিঞ্চনৰ ব্যৱস্থাৰো কোনো প্ৰয়োজন নহয়। চুতীয়াসকলে শালি খেতি কৰাৰ স্পষ্ট প্ৰমাণ পোৱা নাযায় যদিও, প্ৰাচীন কালৰে পৰাই কামৰূপত শালি খেতিৰ প্ৰচলন থকাৰ কথাই চুতীয়া ৰাজ্যতো শালি খেতিৰ প্ৰচলন আছিল বুলি ভাৱিবৰ থল আছে।[৭] আনহাতে, পুৰণি অসমীয়া সাহিত্য আৰু ডাকৰ বচনতো প্ৰাচীন অসমত শালি খেতিৰ প্ৰচলন থকাৰ কথা আৰু বিভিন্ন জাতৰ ধানৰ নামো উল্লেখ পোৱা যায়।[৮] এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে, চুতীয়া ৰজা সত্যনাৰায়ণ, লক্ষ্মীনাৰায়ণ প্ৰমুখ্যে কেইবাজনো ৰজাই ব্ৰাহ্মণসকলক ভূমিদানৰ শাসন প্ৰদান কৰিছিল আৰু পৰৱৰ্তী ৰজাসকলেও সেই শাসনসমূহকে নৱীকৰণ কৰি ভূমি প্ৰদান কৰিছিল। ঢকুৱাখনা অঞ্চলত এতিয়ালৈকে প্ৰাপ্ত ভূমিদানৰ এনে চাৰিখন ফলিৰ পৰা অনুমান কৰিব পাৰি যে দান কৰা ভূমিখণ্ডবোৰ নিশ্চয় শালি খেতিৰ উপযোগী আছিল। তদুপৰি প্ৰথমজনা আহোম স্বৰ্গদেৱ চুকাফায়ো হাবুং অঞ্চলৰ আহি তিনিটা শালি খেতি কৰি যোৱা কথায়ো সেই কথাৰ ন্যাৰ্যতা প্ৰদান কৰে।[৯] আনহাতে প্ৰতিখন ফলিতে নিৰ্দিষ্ট চাৰিসীমা চিহ্নিত কৰি ভূমিদান কৰাৰ কথাই সেই সময়ত চুতীয়া ৰাজ্যখনত ভূমিৰ জৰীপৰ সুব্যৱস্থা এটা থকাৰ কথাৰো ইঙ্গিত দিয়ে।

ধান খেতিৰ উপৰিও চুতীয়াসকলে মাহ, সৰিয়হ, কুঁহিয়াৰ, মৰা আৰু বিভিন্ন পাচলিৰ খেতিয়ো কৰিছিল। গুৰৰ ব্যৱহাৰ অসমত প্ৰাচীন কালৰে পৰা থকাৰ বাবে কুঁহিয়াৰ খেতিও নিশ্চয় প্ৰচলন আছিল। ঠিক সেইদৰে ৰচী তৈয়াৰ কৰিবলৈ মৰা খেতি কৰাটোও অপৰিহাৰ্য আছিল। গতিকে চুতীয়া ৰাজ্যতো এই দুবিধ খেতিৰ প্ৰচলন পূৰ্বৰ পৰাই নিশ্চয় আছিল। আনহাতে চুতীয়া লাই আৰু চুতীয়া লফা নামৰ পাচলি কেইবিধে চুতীয়াসকলৰ উল্লেখনীয় পাচলি খেতিৰ ঐতিহ্য বহন কৰি আহিছে। অন্যান্য জনগোষ্ঠীসকলৰ দৰে চুতীয়া সকলেও খেতি কৰিবলৈ গৰু আৰু ম'হৰ ব্যৱহাৰ কৰিছিল। চুতীয়াসকলে গৰু-ম'হ পোহাৰ কথা বুৰঞ্জীতো পোৱা যায়।[১০]

ৰাজ্য এখনৰ অৰ্থনৈতিক ভেটি সৱল কৰে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু উৎপাদিত সামগ্ৰীয়ে। ঐতিহাসিক চুতীয়া ৰাজ্যখনো প্ৰাকৃতিক সম্পদত চহকী আছিল। অসমৰ হাবিত অগৰু, চন্দন, শাল, বনচোম, তিঁতাচপা, গন্ধসৰৈ আদি নানা ধৰণৰ

---

৭ **Tribes of Assam**, p. 3।

৮ B.K. Baruah, **A Cultural History of Assam (Early Period)**, p. 94।

৯ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ৮।

১০ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২০১।

মূল্যবান কাঠ পোৱা গৈছিল। চুতীয়া ৰাজ্যৰ অন্তৰ্গত হাবিবোৰ এনে মূল্যবান কাঠেৰে ভৰি আছিল। তদুপৰি এই হাবিবোৰৰ পৰা মজাঠী, গাঁঠিয়ন, গন্ধকলাই, নানা ধৰণৰ বনৌষধিৰ গছ-লতা, মচলা জাতীয় গছ, লা আদিও সংগ্ৰহ কৰা হৈছিল। এইবোৰৰ ভিতৰত জালুকো উল্লেখযোগ্য। বিদেশী লেখকসকলৰ টোকাতো অসমৰ জালুকৰ উল্লেখ পোৱা যায়।[১১] এইবোৰৰ উপৰিও নুনী, এড়া, চোম আৰু কেচেৰু গছ প্ৰচুৰ পৰিমাণে হোৱাত ইয়াৰ মানুহে পলু, এড়ি আৰু মুগা পুহি সেইবোৰৰ পৰা মূল্যবান কাপোৰ তৈয়াৰ কৰিছিল। আনহাতে চুতীয়া ৰাজ্যৰ পাহাৰীয়া অঞ্চলৰ বাম মাটিত কপাহ খেতিও কৰা হৈছিল। ফলস্বৰূপে কপাহৰ পৰা সূঁতা কটা আৰু কাপোৰ বোৱা এটা ডাঙৰ শিল্পত পৰিণত হৈছিল।

তদুপৰি এই হাবিবোৰত বহুতো হাতী আছিল। সেই অনুযায়ী চুতীয়া ৰাজ্যত হাতীৰ বহুল ব্যৱহাৰ আছিল। বিশেষকৈ দুৰ্গম পাহাৰীয়া অঞ্চলৰ মাজেৰে ব্যৱসায় বাণিজ্য কৰা, বস্তু কঢ়িওৱা আৰু যাতায়াতৰ ক্ষেত্ৰত বাহন হিচাবেও হাতীৰ ব্যৱহাৰ হৈছিল। হাতী দাঁতৰ পৰা অলঙ্কাৰৰ লগতে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হৈছিল। হাতী ধৰিবলৈ আৰু পোহপাল দিবলৈ চুতীয়া ৰাজ্যত হাতী ঘাঁহী নামৰ এটা খেলো আছিল।[১২] আহোমসকলৰ লগত হোৱা যুদ্ধৰ সন্ধিৰ চৰ্ত মতে আহোমসকলে চুতীয়াৰ পৰা এজনী মাখুন্দী প্ৰমুখ্যে দহোটা হাতী বিচাৰিছিল।[১৩] চুতীয়া ৰজায়ো অন্যান্য বস্তুৰ লগতে হাতী চাৰিটা দি পঠাইছিল।[১৪] চুতীয়াসকল পৰাস্ত হোৱাৰ পিছতো আহোমসকলে সেই ৰাজ্যৰ পৰা বহুতো হাতী, ঘোঁৰা, গৰু, মহ আদি অনাৰ কথা উল্লেখ আছে।[১৫] হাতীৰ লগতে চুতীয়া ৰাজ্যত ঘোঁৰাৰ প্ৰচলন থকাৰ কথাও জনা যায়। সেই কথা বৰ্তমানেও ডিব্ৰু-ছৈখোৱা অৰণ্যত থকা বনৰীয়া ঘোঁৰাই প্ৰমাণ কৰে। ব্যৱসায় বাণিজ্য আৰু যাতায়তৰ ক্ষেত্ৰত হাতীৰ দৰে নিশ্চয় ঘোঁৰাৰো ব্যৱহাৰ হৈছিল। আহোমসকলেও যুদ্ধ জয় কৰি চুতীয়া ৰাজ্যৰ পৰা হাতীৰ লগতে ঘোঁৰাও পাইছিল।

হাতী, ঘোঁৰাৰ লগতে চুতীয়াসকলে অতীতৰ পৰা ম'হ পুহি আহিছে। **দেওধাই অসম বুৰঞ্জী** সন্নিবিষ্ট 'চুটিয়াৰ কথা' নামৰ অধ্যায়ত চুতীয়াৰ আদি ৰজা খুন্ত ম'হ পালক বুলি উল্লেখ আছে।[১৬] আনহাতে ইয়াৰ পৰাই প্ৰমাণ হয় যে, চুতীয়াসকলে কৃষি কাৰ্যত

---

[১১] ড° ডম্বৰুধৰ নাথ, অসম বুৰঞ্জী, পৃঃ ২৯৯।

[১২] স্বৰ্গদেৱ জয়ধ্বজসিংহৰ দিনত (১৬৪৮-৬৩) হোৱা মিৰি (মিছিং) বিদ্ৰোহ দমন কৰিবলৈ যোৱা কলিয়া দলৈয়ে তেওঁৰ ওচৰলৈ সন্ধিৰ প্ৰস্তাৱ লৈ অহা মিৰি কটকীক কৈছিল - 'তহতে চুতীয়া ৰজাৰ হাতী ঘাঁহী বন্দীহে, কোন ডাঙৰ মানুহ ...', শৰৎ কুমাৰ দত্ত সম্পাদিত **অসম বুৰঞ্জী**, পৃঃ ১০।

[১৩] **আহোমৰ দিন**, পৃঃ ৪৮।

[১৪] ঐ।

[১৫] ঐ।

[১৬] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২০১।



অতীতৰে পৰা ম'হ ব্যৱহাৰ কৰি আহিছে। এই ম'হকে আকৌ গোসাঁনী থানতো বলি দিয়া হৈছিল।

চুতীয়া ৰাজ্যত এক শ্ৰেণী চমাৰ (চামৰাৰ সামগ্ৰী তৈয়াৰ কৰোতা) লোক আছিল। আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি অন্যান্য বৃত্তিয়াল লোকৰ লগতে চমাৰো পাইছিল। এই সকলে নিশ্চয় জন্তুৰ ছাল আৰু চৰ্বিৰ পৰা বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল। সম্ভৱতঃ চুতীয়া ৰাজ্যত তেনে এটা উদ্যোগেই আছিল।

বনজ সম্পদৰ উপৰি খনিজ সম্পদতো চুতীয়া ৰাজ্যখন সেই সময়ৰ অন্য ৰাজ্যবোৰতকৈ চহকী আছিল যেন অনুমান হয়, কাৰণ চুতীয়া ৰাজ্যত সোণ, লো আদি ধাতুৰ লগতে লোণৰো পুং আছিল, যিবোৰ সেই সময়ৰ অন্য ৰাজ্যত আছিল বুলি জনা নাযায়। চুতীয়া ৰাজ্যত উৎপাদিত প্ৰাকৃতিক সম্পদবোৰক কেন্দ্ৰ কৰি বিভিন্ন বৃত্তিয়াল খেল যেনে - বিহিয়া, সোণাৰি, লো-শলীয়া, লোণ পুৰীয়া, খনিকৰ, তাঁতী, কুমাৰ, কমাৰ, চমাৰ আদি খেলবোৰৰো সৃষ্টি হৈছিল। বিহিয়া নামৰ খেল চুতীয়া সমাজত অতীতৰ পৰা আছে। এই খেলৰ মানুহে বিহ প্ৰস্তুত কৰি ধনুৰ তীৰত লগাই বিহ কাঁড় বনাইছিল বুলি জনা যায়। এই বিহ আৰু বিহ-কাঁড় প্ৰস্তুত কৰি তেওঁলোকে বিভিন্ন ধৰণৰ কামত খটাইছিল। বিহিয়া সোণোৱাল নামেও একশ্ৰেণী সোণোৱাল মানুহ আছিল।[১৭]

চুতীয়া ৰাজ্যৰ অন্তৰ্গত সোৱণশিৰি, দিহিং, দিক্ৰুং আদি নদীৰ বালিত সোণ পোৱা গৈছিল। য'ত ব্ৰিটিছসকল অহাৰ সময়লৈকে সোণ উৎপাদন কৰা হৈছিল।[১৮] ইয়াৰ উপৰিও চুতীয়া ৰাজ্য আক্ৰমণ কৰি আহোমসকলে যিমানবোৰ বস্তু লাভ কৰিছিল, সেইবোৰৰ ভিতৰত সোণৰ বস্তুৰেই বেছি আছিল।[১৯] সোণ উৎপাদন কৰা সোণাৰি খেলত চুতীয়া আৰু কছাৰী মানুহকহে পোৱা যায়।[২০] নদীৰ বালিৰ পৰা সোণ কমোৱা বৃত্তিত জড়িত মানুহবোৰকে সোণোৱাল বোলা হৈছিল। এই সোণোৱাল বৃত্তিধাৰী মানুহবোৰে নদীৰ বালিৰ পৰা বিভিন্ন পদ্ধতিৰে সোণ চাকি উলিয়াইছিল। এই সোণোৱালসকল পিছলৈ আহোম ৰাজ্যতো একে বৃত্তিতে আছিল। চুতীয়া ৰাজ্যত সোণৰ বিভিন্ন কাম কৰিবলৈ সোণাৰিও আছিল। চুতীয়া ৰাজ্য জয় কৰি আহোমে এনে বহুতো সোণাৰি পোৱাৰ কথা জনা যায়।[২১]

সোণৰ লগতে এই নদীবোৰৰ পৰা চুতীয়াসকলে নিশ্চয় লো সংগ্ৰহ কৰিছিল।

---

[১৭] বেণুধৰ শৰ্মা, **মনিৰাম দেৱান**, গুৱাহাটী, ১৯৯৩, পৃঃ ৩০১।

[১৮] **আহোমৰ দিন**, পৃঃ ৪৫৯।

[১৯] ঐ, পৃঃ ৪৮।

[২০] লক্ষীমপুৰ জিলাৰ বদীনদী উন্নয়ন খণ্ড আৰু ধেমাজি জিলাৰ বৰদলনি উন্নয়ন খণ্ডৰ গৰিষ্ঠ সংখ্যক চুতীয়া বাসিন্দাই পূৰ্বতে সোণোৱাল খেলৰ আছিল। বৰ্তমানেও এইসকল লোকৰ ঘৰত সোণ কমোৱা ৰচিদ আৰু সা-সজুলি সংৰক্ষিত হৈ আছে।

[২১] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ১৪।

চুতীয়া ৰাজ্যত বহুল ভাৱে লো ব্যৱহাৰ হৈছিল। আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি ১,০০০ হিলৈ[২২] পোৱাৰ কথাই চুতীয়া ৰাজ্যত লোৰ উৎপাদন আৰু বহুল প্ৰচলন হৈছিল সেই কথা প্ৰমাণ কৰে। হিলৈৰ উপৰিও বাৰু-বৰ্চা আদি অনেক অস্ত্ৰ-শস্ত্ৰ চুতীয়া ৰাজ্যৰ পৰা পাইছিল।[২৩] লোৰ শলখা লগাই শিলেৰে বন্ধোৱা তাম্ৰেশ্বৰী মন্দিৰ, মালিনী থান, ভীষ্মক নগৰ আদিৰ ধ্বংসাৱশেষবোৰেই প্ৰমাণ কৰে যে, চুতীয়াসকলে বহু আগৰে পৰাই লোৰ ব্যৱহাৰ জানিছিল আৰু সেই লো তেওঁলোকে নিজেই উৎপাদন কৰি লৈছিল। এই লোকসকলক লো-শলীয়া বুলি কোৱা হৈছিল। বৰ্তমান তিতাবৰৰ বৰহোলাত লো-শলীয়া নামৰ এখন চুতীয়া বসতি-প্ৰধান গাঁও আছে। লো-শলীয়া বুলি চুতীয়া ৰাজ্যত কোনো খেল আছিল নে নাই জনা নাযায় যদিও আহোমসকলে গঠন কৰা লো-শলীয়া খেলত বহুতো চুতীয়া মানুহ থকাৰ কথা জনা যায়। সম্ভৱতঃ পূৰ্বে চুতীয়া ৰাজ্যত লো উৎপাদনত জড়িত মানুহকো আহোমৰ লো-শলীয়া খেলত অন্তৰ্ভুক্ত কৰিছিল। লো উৎপাদন থকাৰ বাবেই এই ৰাজ্যত এক শ্ৰেণী কমাৰো আছিল। এই কমাৰ সকলকে পাই আহোমসকলে পুনৰ কামত লগাইছিল[২৪] এই সম্পৰ্কত মণিৰাম দেৱানে মিলচ্ চাহাবলৈ লিখা আৰ্জিত এই বুলি উল্লেখ কৰিছে যে, ‘লোৰ উৎপত্তিৰ বিষয়ে জানিবলৈ হ'লে কমাৰৰ উৎপত্তিৰ কথাও জানি থোৱা নিতান্ত লাগতিয়াল ... চুহুংমুং বা দিহিঙীয়া স্বৰ্গনাৰায়ণে দিখৌ মুখত চুতীয়াক হৰুৱাই ... অসংখ্য কমাৰ কাম কৰা মানুহ বন্দী কৰি আনে। ... দিহিঙীয়া ৰজাৰ দিনৰ পৰাহে অসম ৰাজ্যত কমাৰৰ খেল আৰু ব্যৱসায়ৰ চলন্তি হয়। দিহিঙীয়া ৰজাৰ দিনত অসমত ৩০০০ কমাৰ আছিল।’[২৫] এই কথাই প্ৰমাণ কৰে যে দিহিঙীয়া ৰজাৰ দিনলৈকে অসমত কমাৰৰ খেল নাছিল। অৰ্থাৎ আহোম ৰাজ্যত লোৰ ব্যৱহাৰ আছিল যদিও লোৰ উৎপাদন আৰু লোৰ সামগ্ৰী প্ৰস্তুত কৰণৰ ব্যৱস্থা নাছিল। এইজনা স্বৰ্গদেৱৰ দিনত ৩০০০ কমাৰৰ গৰিষ্ঠসংখ্যকেই নিশ্চয় চুতীয়া ৰাজ্যখনৰ পৰাই বন্দী কৰি নিয়া হৈছিল। এতিয়া কথা হ'ল, য'ত ইমান গৰিষ্ঠসংখ্যক কমাৰেই আছিল, তাত নিশ্চয় লোৰ উৎপাদন যথেষ্ঠ পৰিমাণে হৈছিল আৰু কমাৰে গঢ়োৱা সামগ্ৰী সমূহৰো ৰপ্তানি হৈছিল বুলি ভাবিৰ স্থল আছে।

সোণ আৰু লোৰ দৰে চুতীয়া ৰাজ্যত তামৰ বহুল প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। তামৰ ছালেৰে নিৰ্মিত তাম্ৰেশ্বৰী মন্দিৰ, ভূমিদানৰ বিভিন্ন তাম্ৰপত্ৰ, বাচন-বৰ্তন, মূৰ্তি আদিয়ে এই কথা প্ৰমাণ কৰে। চুতীয়াসকলে সম্ভৱতঃ পাহাৰীয়া অঞ্চলৰ পৰা তাম আমদানি কৰিছিল।[২৬] আহোমে চুতীয়া ৰাজ্য জয় কৰি এক শ্ৰেণী কঁহাৰ বৃত্তিধাৰী লোকো

[২২] সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী, পৃঃ ১০।

[২৩] **আহোমৰ দিন**, পৃঃ ৪৯।

[২৪] **আহোমৰ দিন**, পৃঃ ৪৬৬।

[২৫] **মণিৰাম দেৱান**, পৃঃ ২৮৭- ২৮৮।

[২৬] মণিৰাম দেৱানৰ এত্‌লা ২; বেনুধৰ শৰ্মা, **মণিৰাম দেৱান**, পৃঃ ২৮২।



পোৱাৰ কথাই এই ৰাজ্যত কাহ-পিতলৰ সামগ্ৰী তৈয়াৰ আৰু সেইবোৰৰ ব্যৱসায় প্ৰচলন থকাৰ কথা প্ৰমাণ কৰে।

সোণ, লো, তাম আদি ধাতুৰ উপৰিও লোণ উৎপাদনৰ কাৰণেও এসময়ত চুতীয়া ৰাজ্য বিখ্যাত আছিল। বৰহাট আৰু সদিয়াত লোণৰ পুং আছিল। এই দুই লোণৰ পুঙেই অসমৰ সৰহখিনি মানুহক লোণৰ যোগান ধৰিছিল।[২৭] আৰু এই লোণ অন্যবোৰ লোণতকৈ উৎকৃষ্ট আছিল। নগা পাহাৰ আৰু চুতীয়া ৰাজ্য খণ্ডৰ বাহিৰে অসমৰ অন্য ঠাইত লোণৰ পুঙ থকাৰ কথা জনা নাযায়। গতিকে ক'ব পাৰি চুতীয়া ৰাজ্যখন লোণৰ ব্যৱসায়ত প্ৰতিপত্তিশীল আছিল। উল্লেখযোগ্য যে স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত ১৮০৯ খ্ৰীঃত কেৱল সদিয়াৰ লোণৰ পুঙৰ পৰাই বছৰেকত ৪০০০০ (দুকুৰি হেজাৰ) টকা মূল্যৰ লোণ পোৱা হৈছিল।[২৮] গতিকে অনুমান কৰিব পাৰি যে লোণৰ উৎপাদনে অতীতৰ চুতীয়া ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সবল কৰিছিল। চুতীয়া ৰাজ্যত থকা লোণৰ পুঙবোৰতো নিশ্চয় একশ্ৰেণী বিশেষ মানুহহে লোণ প্ৰস্তুত কৰা বৃত্তিত জড়িত আছিল। আহোম যুগৰ স্থায়ী লোণপুৰীয়া খেল সম্ভৱতঃ চুতীয়াসকলৰে আৰ্হিত গঠিত হৈছিল।

কুটিৰ শিল্পৰ ক্ষেত্ৰতো চুতীয়া ৰাজ্যখন যথেষ্ট আগবঢ়া আছিল। পুৰণি সমাজ ব্যৱস্থাত সকলোৱে প্ৰয়োজনীয় কাপোৰ ঘৰতে প্ৰস্তুত কৰি লৈছিল। এড়ি, মুগা, পাট পলু পুহি তাৰ পৰা বিভিন্ন ধৰণৰ বস্ত্ৰ তৈয়াৰ কৰি লৈছিল। ইয়াৰ উপৰিও পাহাৰীয়া তথা দাঁতি কাষৰীয়া অঞ্চলবোৰত কপাহ খেতিও কৰিছিল।[২৯] কপাহী জীন কাপোৰ চুতীয়া ৰাজ্যত বহুলভাৱে প্ৰচলন আছিল। চুতীয়া ৰাজ্যত তাঁতীৰো এটা সুকীয়া খেল থকাৰ কথাই প্ৰমাণ কৰে যে, এই ৰাজ্যত কাপোৰৰ ব্যৱসায়ো চলিছিল।[৩০] তদুপৰি তাঁতীসকলে বিভিন্নধৰণৰ উন্নত মানদণ্ডৰ কাপোৰ তৈয়াৰ কৰাৰ তথ্য বুৰঞ্জী সমূহত পোৱা যায়। আহোমসকলে চুতীয়া ৰাজ্য জয় কৰি অন্যান্য বৃত্তিয়াল লোকৰ লগতে বহুতো তাঁতী বৃত্তিয়াল লোকো ধৰি নিছিল। আনহাতে চুতীয়া ৰজাই সন্ধিৰ প্ৰস্তাৱৰ লগত আহোম স্বৰ্গদেৱ আৰু দুজনা ডাঙৰীয়ালৈ বুলি দুখন সোণৰ বনকৰা কাপোৰ আৰু দুখন হাতী দাঁতৰ কঠ দিয়াৰ কথাই চুতীয়া তাঁতীসকলৰ উন্নত মানৰ কাৰুকাৰ্যৰ নিদৰ্শনৰ প্ৰমাণ কৰে।

ইয়াৰ উপৰিও চুতীয়া ৰাজ্যৰ অন্তৰ্গত মালিনীথান, তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰমুখ্যে অসংখ্য মঠ-মন্দিৰ, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, শিশুপাল দূৰ্গ আদিৰ দৰে অসংখ্য

[২৭] **আহোমৰ দিন**, পৃঃ ৪৭১।

[২৮] ঐ।

[২৯] বৰ্তমান অৰুণাচলৰ অন্তৰ্গত সকলো জনগোষ্ঠীয়েই কপাহ খেতি কৰে, সম্ভৱতঃ চুতীয়া ৰাজ্যৰ প্ৰজাসকলেও পূৰ্বতে এনে খেতি কৰিছিল।

[৩০] প্ৰাচীন কালৰে পৰা সকলো মানুহে প্ৰয়োজনীয় কাপোৰ নিজে তৈয়াৰ কৰি লৈছিল। তেনেস্থলতো চুতীয়া ৰাজ্যত তাঁতীৰ একশ্ৰেণী মানুহ থকাৰ কথাই সেই ৰাজ্যত কাপোৰৰ ব্যৱসায় প্ৰচলন ইঙ্গিত দিয়ে।

পকী নিদৰ্শনবোৰৰ লগতে ইয়াৰ নিৰ্মাণ শৈলীয়ে চুতীয়া ৰাজ্যখনৰ স্বচ্ছল অৰ্থনৈতিক অৱস্থা এটাৰ ইঙ্গিত দিয়ে। বাঢ়ৈ কাম কৰা লোকসকলকে খনিকৰ বোলা হৈছিল। আহোমসকলে চুতীয়া ৰাজ্যত পোৱা খনিকৰবিলাককে লৈ খনিকৰ খেলৰ সৃষ্টি কৰিছিল আৰু তেতিয়াৰ পৰাই আহোম ৰাজ্যত খনিকৰ খেলৰ প্ৰচলন হৈছে বুলি ভাবিবৰ স্থল আছে। কাৰণ খনিকৰ বৃত্তিধাৰীসকলৰ কথা আহোম-চুতীয়া যুদ্ধৰ পৰাহে অসম বুৰঞ্জীত পোৱা যায়। চুতীয়া ৰাজ্যত যে অতি বিচক্ষণ আৰু নিপুন খনিকৰ আছিল, সেই কথা বেণুধৰ শৰ্মা দেৱে তেখেতৰ 'চুতীয়া কৃষ্টি' নামৰ প্ৰবন্ধটোত এইদৰে উল্লেখ কৰিছে - 'চুতীয়া জাতি উলামূলা জাতি নহয় - ৰূপেৰ বন্ধোৱা দাঁতৰ ইন্দ্ৰৰ ঐৰাৱত মূৰ্ত্তি শিলত কাটিব পাৰিছিল চুতীয়াই, মন্দিৰৰ বাটচ'ৰাত ফুলজালি কাটিছিল চুতীয়াই, ছটীয়া শিলত ম'ৰা চৰাই, গৰুগুই সাপ ধৰা, বিষ্ণু মূৰ্ত্তি, শিৱ-পাৰ্ৱতীৰ মূৰ্ত্তি চচকৈ কাটি দেখুৱাইছিল চুতীয়াবিলাকেই। ৰাজখনিকৰী কামতো চুতীয়াৰ শিল্প অনুকৰণীয় হৈয়ে আছে।'[৩১]

পূৰ্বতে উল্লেখ কৰি অহা হৈছে যে, অন্যান্য ৰাজ্যবোৰৰ লগত চুতীয়া ৰাজ্যৰ যোগাযোগৰ সুচল ব্যৱস্থা আছিল আৰু সদিয়া এখন আন্তজাৰ্তিক বজাৰ আছিল। চুতীয়া ৰাজ্যখনত উৎপাদিত সামগ্ৰীসমূহ জলপথ, স্থলপথ আৰু গিৰিপথেদি অহা ভিন্ন ঠাইৰ বনিকসকলৰ লগত আদান-প্ৰদান হৈছিল। সামগ্ৰীৰ আদান-প্ৰদানৰ ক্ষেত্ৰত বিনিময় প্ৰথাই প্ৰচলন আছিল। সদিয়া অঞ্চলত চুতীয়াসকলৰ দ্বাৰা চলি অহা ব্যৱসায়-বাণিজ্যৰ ধাৰাবাহিকতা পিছৰ সময়ছোৱাত আহোম ৰাজত্বৰ চত্ৰছাঁয়াতো অক্ষুণ্ণ আছিল। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত মিছিং (মিৰি)সকলে অন্যান্য পাহাৰীয়া জনজাতিসকলৰ লগত মধ্যস্থতা কৰিছিল।[৩২]

## চুতীয়াসকলৰ অৰ্থনৈতিক অৱস্থা (১৫২৩-১৮২৬ খ্ৰীঃ)

যোড়শ শতিকাৰ প্ৰথমাৰ্দ্ধতেই আহোমসকলে চুতীয়াসকলৰ ৰাজ্য নিজৰ অধীনলৈ নিয়াৰ ফলত চুতীয়াসকলৰ ৰাজনৈতিক ক্ষমতা লোপ পোৱাৰ লগতে ক্ৰমান্বয়ে তেওঁলোক অৰ্থনৈতিকভাৱেও পিছ পৰি যাবলৈ ধৰিলে।[৩৩] আদিতে চুতীয়াসকল কৃষিজীৱী আছিল। তেওঁলোকে দৈনন্দিন জীৱনৰ প্ৰতিটো লাগতীয়াল সামগ্ৰী নিজেই উৎপাদন কৰি জীৱিকা নিৰ্বাহ কৰিছিল।[৩৪] পূৰ্বতে উল্লেখ কৰা হৈছে যে চুতীয়া ৰাজ্য নিজৰ

[৩১] বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি', **কুণ্ডিল**, পঞ্চম সংখ্যা, পৃঃ ৮।

[৩২] **Ahom Tribal Relation**, p. 158.

[৩৩] ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰীক সদৌ অসম চুতীয়া সন্মিলনৰ নেতৃবৃন্দই স্মাৰক পত্ৰ প্ৰদান কৰে, ২১ চেপ্তেম্বৰ, ১৯৮০ চন, নতুন দিল্লী।

[৩৪] বেণুধৰ শৰ্মা; "চুতীয়া কৃষ্টি", ড° পৱন শইকীয়াৰ দ্বাৰা সম্পাদিত **স্মৃতি গ্ৰন্থ**, ১৩ ফেব্ৰুৱাৰী ১৯৭৪



অধীনলৈ নিয়াৰ পিছত আহোমসকলে চুতীয়াসকলৰ সকলো সম্পত্তি হস্তগত কৰিছিল আৰু ৰাজনৈতিক নিৰাপত্তাৰ স্বাৰ্থত তেওঁলোকক নিজ ৰাজ্যৰ বিভিন্ন স্থানত ছেদেলি-ভেদেলি কৰি প্ৰতিষ্ঠা কৰিছিল, যাতে ভৱিষ্যতে আহোমৰ বিৰুদ্ধে তেওঁলোকে বিদ্ৰোহ কৰিব নোৱাৰে।[৩৫] এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চুতীয়াসকল অৰ্থনৈতিক ভাৱে আৰু শোচনীয় হোৱাটো অতি স্বাভাৱিক। নিজৰ ৰাজ্য, পৈত্ৰিক ভেটি, বংশ পৰিয়াল হেৰুৱাই তেওঁলোক মানসিকভাৱে ভাগি পৰিছিল। সাধাৰণতে বিজিত জাতিৰ ওপৰত বিজেতাসকলৰ নিপীড়ণ, অনাদৰ, অৱহেলা প্ৰায়বোৰ জাতিৰ মাজতে থাকেই। দূৰদৰ্শী আহোম ৰজাসকলেও ৰাজনৈতিক স্বাৰ্থত দক্ষতা থকা অভিজ্ঞ চুতীয়াসকলক বাচি বাচি ফুকন, ভঁৰালী, বৰুৱা, বৰবৰুৱা আদি পদবীত অধিষ্ঠিত কৰিছিল।

আহোম শাসনৰ অধীনত চুতীয়াসকলৰ বাবে সুকীয়া অৰ্থনৈতিক অৱস্থা এটাৰ কথা বিবেচনা কৰাটো অনৰ্থক। কাৰণ আহোম শাসন ব্যৱস্থাত অন্যান্য প্ৰজা সাধাৰণৰ অৰ্থনৈতিক অৱস্থাৰ লগত চুতীয়া প্ৰজাসকলৰ বিশেষ পাৰ্থক্য দেখা নেযায়। মোমাই তামুলী বৰবৰুৱাই সমগ্ৰ ৰাজ্যত পাইক প্ৰথা প্ৰৱৰ্তন কৰাৰ হেতু ৰাজ্যখনৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱে পাইক খটাতো বাধ্যতামূলক আছিল। আহোম স্বৰ্গদেৱসকলে উপযুক্ত লোকক জাতি-বৰ্ণ নিৰ্বিশেষে সদায় অগ্ৰাধিকাৰ দিছিল আৰু অনুপযুক্ত হ'লে ব্ৰাহ্মণ হ'লেও হাতী ঘাঁহী খেলত নিয়োগ কৰাৰ উদাহৰণো আছে।[৩৬] এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে, কেইবাজনো চুতীয়াই আহোম প্ৰশাসনত বৰফুকন, বৰবৰুৱা আদি উচ্চ পদবীত কাৰ্যনিৰ্বাহ কৰিছিল।[৩৭] বুৰঞ্জীবিদ বেণুধৰ শৰ্মা দেৱে বাৰজন চুতীয়া লোক আহোম প্ৰশাসনত বৰফুকন পদবীত অধিষ্ঠিত হৈছিল বুলি উল্লেখ কৰিছে।[৩৮]

আগতেই উল্লেখ কৰি অহা হৈছে যে, আহোম শাসনৰ অধীনলৈ অহাৰ পিছত চুতীয়াসকলৰ অৰ্থনৈতিক অৱস্থা পৰিৱৰ্তন হয়। আহোম ৰাজতন্ত্ৰত যোগ্য চুতীয়াসকলে উচ্চ পদবী পাইছিল, কিন্তু সাধাৰণ চুতীয়া প্ৰজাসকলৰ অৱস্থা কিছু ক্ষেত্ৰত অতি পুতৌজনকো আছিল। গৰিষ্ঠ সংখ্যক চুতীয়া প্ৰজাই আহোম প্ৰশাসনত কাঁড়ী-পাইক হিচাবে নিযুক্ত হৈছিল। পাইক প্ৰথা অনুসৰি তেওঁলোকে নিৰ্দিষ্ট দুপুৰা মাটিতে বছৰটোৰ বাবে খেতি কৰিবলগা হৈছিল আৰু যুদ্ধৰ সময়ত যুদ্ধক্ষেত্ৰলৈ যাব লগা হৈছিল। এই ক্ষেত্ৰত কোনো পাইকে কেতিয়াও ফাকি দিব নোৱাৰিছিল। আহোম ৰাজত্বৰ সময়ছোৱাত প্ৰায় সঘনাই যুদ্ধ-বিগ্ৰহ হৈ থকাৰ বাবে কাঁড়ী-পাইকসকলে ঘৰুৱা কামত মনোনিবেশ

[৩৫] স্বৰ্ণলতা বৰুৱা; "চুতীয়া জাতিৰ জনসংখ্যা সম্পৰ্কে চমু বুৰঞ্জী", কোযেশ্বৰ বৰুৱাই সম্পাদনা কৰা **স্মৃতি গ্ৰন্থ**, ১৯৯০ চন, গুৱাহাটী।

[৩৬] **আহোমৰ দিন**, পৃঃ ৪৯৮, ৪৯৯।

[৩৭] বিস্তৃত বিৱৰণৰ বাবে...... অধ্যায় চাওক।

[৩৮] বেণুধৰ শৰ্মা, 'চুতীয়া **কৃষ্টি, কুণ্ডিল**, পঞ্চম সংখ্যা, ২০০৫, পৃঃ ১১।

কৰাৰ ক্ষেত্ৰত বাধা আহি পৰিছিল। ফলত তেওঁলোকে কোনো মতে খাই-বৈহে থাকিব পাৰিছিল। এনে ক্ষেত্ৰত ঘৰখনৰ তিৰুতাসকলেই ঘৰুৱা সকলো দায়িত্ব চম্ভালিব লগা হৈছিল। ঠিক সেইদৰে কাঁড়ী-পাইকৰে এক শ্ৰেণী চুতীয়া লোকক পচা প্ৰথাৰ ভুক্ত কৰি পাহাৰীয়া সীমান্ত অঞ্চলত প্ৰতিষ্ঠা কৰিছিল। পচা প্ৰথা অনুসৰি পৰ্বতবিলাকৰ কাষত পৰ্বতীয়া জাতিক যোগান ধৰিবলৈ কিছুমান মানুহ স্থাপন কৰা হৈছিল। যি পৰ্বতীয়া জাতিৰ যোগান ধৰিব লাগে তেওঁবিলাকক সেই পৰ্বতীয়া জাতিৰ বহতীয়া বোলা হৈছিল।[৩৯] বহতীয়া পাইকসকলৰ দুখ লগা জীৱন ধাৰণৰ বিৱৰণ সৰ্বানন্দ ৰাজকুমাৰৰ **ইতিহাসে সোঁৱৰা ছশটা বছৰ** নামৰ গ্ৰন্থত এনেদৰে পোৱা যায়, 'ডফলাবিলাকে প্ৰত্যেক দহ ঘৰৰ পৰা এখন দুতৰপীয়া কাপোৰ, এখন এতৰপীয়া কাপোৰ, এখন হাঁচতি, এখন দা, দহটা শিং লগা জন্তু আৰু চাৰি সেৰ লোণ তুলিবলৈ ক্ষমতা পাইছিল। ... ডফলাৰ পৃথক খেলবিলাকে ভৈয়ামত হেতা-উপৰা নকৰিছিল, প্ৰত্যেকেই কোন গাঁৱৰ পৰা পচা তুলিব লাগে জানিছিল। কিন্তু সিহঁতে সিহঁতৰ পাইক যলৈকে উঠি যক লাগিলে তাৰ পৰাই পচা সোধে, পাইকে দিব পাৰক বা নোৱাৰক পূৰা পচা দাবী কৰে'।[৪০] বহতীয়াসকলৰ গৰিষ্ঠসংখ্যক লোকেই চুতীয়া আছিল।[৪১] ডফলা পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত (বৰ্তমান লক্ষীমপুৰ-ধেমাজি জিলাৰ অন্তৰ্গত অৰুণাচলৰ সীমা মূৰীয়া অঞ্চল) বসবাস কৰা গৰিষ্ঠ সংখ্যক লোকেই হ'ল চুতীয়া। এইসকল লোক এসময়ত পচা প্ৰথাৰ পাইক আছিল আৰু তেওঁলোকে এতিয়াও আগৰ ঠাইতে বাস কৰি আছে।

আহোম ৰাজত্বত শেনচোৱা, কুকুৰাচোৱা[৪২] , নাওবৈচা[৪৩] আদি খেলত চুতীয়া লোক আছিল। ইয়াৰ উপৰিও বহুতো চুতীয়া লোক লো-শলীয়া, হিলৈদাৰী, সোণাৰি আদি খেলত নিয়োজিত হৈছিল।[৪৪] এইসকল লোকৰ আৰ্থিক অৱস্থা স্বচ্ছল আছিল বুলি ক'ব নোৱাৰি। তেওঁলোকৰ হাড় ভঙা শ্ৰম আৰু পুতৌজনক জীৱন ধাৰণৰ কথা বুৰঞ্জীসমূহত উল্লেখ পোৱা যায়।[৪৫]

তদুপৰি মানৰ আক্ৰমণৰ সময়ত বহু চুতীয়ালোকে নিজৰ ঘৰ-বাৰী এৰি দিহিঙে-

---

৩৯ সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ১৬১।

৪০ সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ৫৩৯-৫৪০।

৪১ বহতীয়া চুতীয়া বুলি এক শ্ৰেণী চুতীয়া লোক আছিল।

৪২ **আহোমৰ দিন**, পৃঃ ৬৯৭।

৪৩ ঐ, পৃঃ ৬৯৮)

৪৪ ক্ষেত্ৰ অধ্যয়নৰ কালত পূৰ্বতে লো-শলীয়া খেলত থকা বুলি পৰিচয় দিয়া লোক শোণিতপুৰ জিলাৰ দিপৰা, গোলাঘাট জিলাৰ কমাৰগাঁও আৰু বোকাখাটত পোৱা গৈছে। যোৰহাট জিলাৰ বৰহোলাত এখন লো-শলীয়া নামৰ চুতীয়া বসতি প্ৰধান গাঁও এতিয়াও আছে। হিলৈধাৰী নামৰ এখন চুতীয়া গাঁও ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ ওচৰত আছে। পূৰ্বতে হিলৈদাৰী উপাধি লিখি পিছত চুতীয়া উপাধি লিখা চুতীয়া লোক শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাত আছে। লক্ষীমপুৰ জিলাৰ বগীনদী, ধেমাজি জিলাৰ গোগামুখ আদি ঠাইত সোণোৱাল-চুতীয়াৰ কেইবাখনো গাঁও আছে।)

৪৫ মণিৰাম দেৱানৰ এত্‌লা', বেণুধৰ শৰ্মা, **মনিৰাম দেৱান**, পৃঃ ২৮৫-৩০১।



দিপাঙে, পৰ্বতে-কন্দৰে নিৰাপত্তা বিচাৰি আশ্ৰয়লৈ আত্মপৰিচয় হেৰুৱালে তাৰ সঠিক হিচাব উলিওৱাটো সহজ নহয়।[৪৬] এই সময়তে অসংখ্য চুতীয়া লোকে বৰাক উপত্যকাৰ তিনিখন জিলা যথাক্ৰমে কৰিমগঞ্জ, হাইলাকান্দি, কাছাৰ আৰু মাইবং আদি ঠাইত আনকি বাংলাদেশ পৰ্যন্ত সিঁচৰিত হৈ ছেদেলি-ভেদেলি হৈ পৰিল।[৪৭] স্থান এৰিলে মান এৰাৰ দৰে চুতীয়াসকলৰ সামাজিক স্থিতি বৰ শোচনীয় হৈ পৰিল।

আহোম শাসন তন্ত্ৰত অনগ্ৰসৰ এইসকল চুতীয়াৰ পৰৱৰ্তী সময়তো অৰ্থনৈতিক অৱস্থাৰ উন্নতি ঘটা নাছিল। অৰ্থনৈতিক জুৰুলা অৱস্থাৰ বশৱৰ্তী হৈ এইসকল লোক সামাজিক ভাৱেও উপেক্ষিত হৈ পৰিছিল। সেই বাবেই এসময়ৰ গৌৰৱময় এটা জাতি ভাৰতৰ প্ৰাক্-স্বাধীন আৰু স্বাধীনোত্তৰ কালত সমাজৰ নিম্ন শ্ৰেণী হিচাপে পৰিগণিত হৈছিল।[৪৮] তদুপৰি, তথাকথিত উচ্চ জাতৰ লোকসকলে জ্ঞাতে বা অজ্ঞাতে চুতীয়াসকলক নীচ জাতিৰ লোক বুলি জ্ঞান কৰিছিল।

## ইংৰাজসকলৰ শাসন কাল (১৮২৬-১৯৪৭ খ্ৰীঃ)ত চুতীয়াসকলৰ অৰ্থনৈতিক অৱস্থা ঃ

আহোম ৰাজ শাসকসকলৰ মাজত ক্ৰমান্বয়ে দেখা দিয়া আভ্যন্তৰীণ গৃহকন্দলৰ সুযোগ লৈ মানে অসম আক্ৰমণ কৰিছিল। ফলত সেই সময়ৰ আহোম ৰজা চন্দ্ৰকান্ত সিংহই মানৰ আক্ৰমণৰ পৰা অসমক ৰক্ষা কৰিবলৈ ব্ৰিটিছক অনুৰোধ জনালে। ব্ৰিটিছে অসমক মানৰ হাতৰ পৰা উদ্ধাৰ কৰিলে যদিও অসমত আহোম ৰাজত্বৰ বেলি মাৰ গ'ল। অসম ব্ৰিটিছৰ অধীনলৈ গ'ল আৰু তেওঁলোকৰ প্ৰশাসনতো পূৰ্বৰ আহোম প্ৰশাসনৰ বিষয়াসকলক এলাগী কৰি বাহিৰৰ পৰা অনা লোক নতুবা অসমৰ উচ্চ বৰ্ণৰ লোকসকলকহে প্ৰাধান্য দিছিল। ব্ৰিটিছৰ এনে বৈষম্যমূলক নীতিৰ ফলত আহোম চুতীয়া প্ৰমুখ্যে জনগোষ্ঠীবোৰ অৱহেলিত হৈ পৰিছিল।

চুতীয়াসকল আৰ্থ-সামাজিক দিশত পিছ পৰি থকাৰ কাৰণবোৰৰ ভিতৰত সমসাময়িক সমাজত প্ৰচলিত প্ৰবল অন্ধ বিশ্বাস আৰু সামাজিক কু-সংস্কাৰো অন্যতম। ব্ৰিটিছসকলে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহক কানিৰ দৰে নিচাযুক্ত দ্ৰব্য সেৱন কৰিবলৈ উৎসাহ দিছিল।[৪৯] চুতীয়াসকলও সহজেই এনে অভ্যাসৰ প্ৰতি আসক্ত হৈ পৰিছিল।

---

৪৬ স্বৰ্ণলতা বৰুৱা; "চুতীয়া জাতিৰ জনসংখ্যা সম্পৰ্কে চমু বুৰঞ্জী"

৪৭ ইছমাইল হুচেইন; **প্ৰান্তিক**

৪৮ ১৯৩৫ খ্ৰীঃত চাইমন কমিচনৰ ৰিপৰ্টত সত্ৰ সংস্কৃতিৰ অন্তৰ্গত চুতীয়া লোকসকলক অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত কৰিছিল।

৪৯ পি. চি. চুতীয়া; "ঐতিহ্যৰ প্ৰেৰণা ঃ ভৱিষ্যতৰ কাৰ্যসূচী", পূৰ্ণপ্ৰসাদ শইকীয়াৰ সম্পাদিত আলোচনীত প্ৰকাশিত, ১৯৮৪ চন, ধেমাজি।

লাহে লাহে সাম্ৰাজ্যবাদী শাসকৰ প্ৰৰোচনাত পৰি কানিৰ ব্যৱহাৰো মাত্ৰাধিক হ'বলৈ ধৰিলে। এনে বদ অভ্যাসবোৰে চুতীয়াসকলক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিলে আৰু তেওঁলোকৰ শাৰীৰিক আৰু মানসিক অৱস্থা বহু নিম্নগ্ৰামী কৰি সামগ্ৰিকভাবে তেওঁলোকক নিৰক্ষৰ আৰু দৰিদ্ৰত পৰিণত কৰিলে।

তদুপৰি আৰ্থ-সামাজিক দিশত চুতীয়াসকল পিছপৰি যোৱাৰ আন এটা কাৰণ হ'ল ইংৰাজসকলে প্ৰচলন কৰা ইংৰাজী শিক্ষা। ইংৰাজৰ ঔপনিবেশিক শাসন সুকলমে পৰিচালনা কৰাৰ অৰ্থে অসমৰ শিক্ষানুষ্ঠানবিলাকৰ পাঠ্য-পুথিসমূহত ইংৰাজী ভাষা প্ৰচলন কৰিছিল, যাতে খিলঞ্জীয়া লোকসকলে সেই ভাষা আয়ত্ত কৰি প্ৰশাসনক সহায় কৰিব পাৰে। সামাজিক মৰ্যদা বৃদ্ধিৰ লগতে চৰকাৰী চাকৰিত নিয়োজিত হ'বলৈ হ'লে ইংৰাজী ভাষা জনাটো বাধ্যতামূলক আছিল। কিন্তু প্ৰাচীন সভ্যতাৰ উত্তৰাধিকাৰী চুতীয়াসকলে ইংৰাজী ভাষা শিক্ষাৰ গুৰুত্ব বুজিব নোৱাৰি এই শিক্ষা গ্ৰহণৰ পৰা বিৰত আছিল। দ্বিতীয়তে আহোমৰ হাতত নিজ ৰাজ্য হেৰুৱাই নিঃকিন, নিৰক্ষৰ চুতীয়াসকলে ভিতৰুৱা ঠাইবিলাকত বসবাস কৰিবলৈ লৈছিল, য'ত যোগাযোগৰ ব্যৱস্থা আৰু শিক্ষানুষ্ঠান কোনোটোৱেই নাছিল। সেয়ে নিজৰ ল'ৰা-ছোৱালীক স্কুললৈ পঠাব পৰা নাছিল। এনেকৈয়ে তেওঁলোকৰ নেতিবাচক ধাৰণাৰ লগতে প্ৰতিকুল পৰিস্থিতিৰ বাবে শিক্ষা আৰু অৰ্থনৈতিক ক্ষেত্ৰত আন সম্প্ৰদায়ৰ তুলনাত চুতীয়াসকল আপেক্ষিকভাৱে অধিক অনগ্ৰসৰ হৈ ৰ'ল। নিম্নোলিখিত পৰিসংখ্যাই এই কথাষাৰ প্ৰতিপন্ন কৰিছে।[৫০]

তালিকা নম্বৰ ১ ঃ

| জাতি | জনসংখ্যা | | পাঁচ বছৰ- উৰ্দ্ধৰ প্ৰতি ১০০০ জনৰ ভিতৰত অশিক্ষিতৰ হাৰ | | | | | |
|---|---|---|---|---|---|---|---|---|
| | ১৯১১ | ১৯২১ | ১৯১১ | | | ১৯২১ | | |
| | | | ব্যক্তি | পুৰুষ | মহিলা | ব্যক্তি | পুৰুষ | মহিলা |
| আহোম | ১৯৭,০০০ | ২১৬,০০০ | ৭৩ | ১৩৬ | ৪ | ১০৯ | ১৯৭ | ১১ |
| চুতীয়া | ৮৮,৮৫২ | ৯৬,০০৯ | ৬০ | ১১৩ | ২ | ৯৪ | ১৭৫ | ৬ |
| বামুণ | ১৩৭,০০০ | ১৬০,০০০ | ৩৭৫ | ৬২৩ | ৬৪ | ৪৩৮ | ৭২১ | ১১১ |
| কলিতা | ২২২,০০০ | ২৩৫,০০০ | ৯৫ | ৯৫ | ৬ | ১৪৫ | ২২৫ | ২০ |
| কায়স্থ | ৮২,০০০ | ১২২,০০০ | ৪১৩ | ৪১৩ | ১৩৮ | ৪২৯ | ৬২৯ | ১৮৭ |

(উৎস ঃ ১৯১১ চনৰ ভাৰতবৰ্ষৰ পিয়ল)

উপৰুক্ত তালিকাখনে স্পষ্টকৈ দেখুৱাইছে যে চুতীয়াসকলে নিজৰ অজ্ঞতাৰ বাবে পাশ্চাত্য শিক্ষাৰ উপযোগীতাৰ কথা বুজিব নোৱাৰি শৈক্ষিক ভাবেও বহু পিছ ৰ'ল। ইংৰাজ আমোলাতান্ত্ৰিক শাসন ব্যৱস্থাত তেনেই নগণ্য সংখ্যক চুতীয়ালোকহে

[৫০] ভাৰতবৰ্ষৰ পিয়ল; ১৯১১ চন।



প্ৰতিনিধিত্ব কৰিব পাৰিছিল, সেই কথা নিম্ন উল্লেখিত পৰিসংখ্যাই প্ৰমাণ কৰে।[৫১]

তালিকা নম্বৰ ২ ঃ

১৯২১ খ্ৰীঃৰ লোকপিয়লত প্ৰকাশ পোৱা তথ্য অনুসৰি অসমত প্ৰতি ১০ হেজাৰত ইংৰাজী জনা ব্যক্তি (পাঁচ বছৰৰ উৰ্দ্ধৰ)ৰ সংখ্যা আছিল এনেধৰণৰ ঃ

| সম্প্ৰদায়/ জাতি | ১৯১১ | ১৯২১ |
|---|---|---|
| আহোম | ১.০০৬ | ২.২৪ |
| চুতীয়া | ০.৯৪ | ১.১৯ |
| বৈদ্য | ২৭.৭৩ | ৩০.৭৫ |
| বামুণ | ৫.৬৭ | ৯.১৮ |
| কায়স্থ | ৯.৬৩ | ১১.৪৩ |
| কলিতা | ০.৯৭ | ২.১৫ |
| অনুসূচিত জনজাতি | কোনো তথ্য নাই | ০.০৭ |
| শূদ্ৰ | ০.৬২ | ১.১৮ |

(উৎস ঃ ১৯২১ চনৰ ভাৰতবৰ্ষৰ পিয়ল)

উপৰোক্ত তালিকাৰ পৰা দেখা যায় যে, ইংৰাজী শিক্ষাত পিছপৰি থকাৰ বাবে প্ৰশাসনীয় বিভাগৰ সুবিধাসমূহ গ্ৰহণ কৰিব নোৱাৰি চুতীয়াসকল অৰ্থনৈতিকভাৱে অনগ্ৰসৰ হৈ ৰৈছিল। চুতীয়াসকলৰ অৰ্থনৈতিক দুৰৱস্থাৰ কথা ব্যাখ্যা কৰি 'সদৌ চুতীয়া জাতি সন্মিলন, অসম' আৰু 'চুতীয়া জাতি যুৱ ছাত্ৰ সন্মিলন, অসম'-এ যুটীয়াভাৱে ১৯৮০ খ্ৰীঃত ভাৰতৰ প্ৰধানমন্ত্ৰীক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল।[৫২] তাৰে কিয়দাংশ এনে ধৰণৰ -

> "নিৰক্ষৰতা চুতীয়াসকলৰ ভিতৰতেই অতি বেছি।
> উপাৰ্জনৰ অন্যপথ তেওঁলোকৰ বাবে বন্ধ আছিল
> কাৰণ তেওঁলোকৰ অৰ্থনৈতিক সম্পদ নাইবা
> ৰাজনৈতিকভাৱে সহায় অথবা প্ৰশাসনীয়
> সুবিধা পোৱা নাছিল। ভাৰতবৰ্ষই স্বাধীনতা
> লাভ কৰা আজি ৫০ বছৰ অতিক্ৰম কৰা
> চুতীয়াসকলৰ কোনো এজনেই আই, এ, এছ
> বা আই, পি, এছ, বিষয়া হ'ব নোৱাৰিলে।"[৫৩]

[৫১] ভাৰতবৰ্ষৰ পিয়ল; ১৯২১ চন।

[৫২] সদৌ চুতীয়া জাতি সন্মিলন আৰু সদৌ চুতীয়া জাতি যুৱছাত্ৰ সন্মিলন অসমে যুটীয়াভাৱে ভাৰতৰ প্ৰধানমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান কৰে। ২১ চেপ্তেম্বৰ ১৯৮০ চন, নতুন দিল্লী।

[৫৩] বেনু গগৈ আৰু গৌতম কলিতা; তিমিৰা ফাৰিয়া বাজ, ২০০৫ চন, যোৰহাট।

অনগ্ৰসতাৰ ফলস্বৰূপে চুতীয়াসকল নিজৰ প্ৰাপ্য সা-সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম নহৈছিল আৰু এইদৰেই তেওঁলোকে যুগ যুগ ধৰি অৱহেলিত আৰু বঞ্চিত হৈ আহিছে।[৫৪]

তালিকা নম্বৰ ৩ ঃ

১৯১১ চনৰ ভাৰতবৰ্ষৰ লোকপিয়ল অনুসৰি ব্ৰিটিছ প্ৰশাসনত অন্যান্য জাতিৰ তুলনাত চুতীয়াসকলৰ প্ৰতিনিধিত্বৰ পৰিসংখ্যা এনেধৰণৰ ঃ[৫৫]

| জাতি | চৰকাৰী বিষয়া (ৰাজপত্ৰ) চাকৰি | মেডিকেলৰ সকলো ধৰণৰ | সকলো ধৰণৰ উকীল | অধ্যাপক, শিক্ষক আৰু স্কুল, কলেজৰ পৰিদৰ্শকসকল |
|---|---|---|---|---|
| আহোম | নাই | নাই | নাই | ২৮২ |
| চুতীয়া | নাই | নাই | নাই | ১০০ |
| বৈদ্য | ২০ | ২৮০ | ৮৪ | ১৩০ |
| ব্ৰাহ্মণ্য | ২৪ | ৮৪০ | ১৪২ | ১২৪৮ |
| কলিতা | নাই | ১৪২ | নাই | ৪২৮ |
| কায়স্থ | ৪৬ | ১২৪৮ | ৪২৮ | ১১৭২ |

(উৎস ঃ ১৯১১ চনৰ ভাৰতবৰ্ষৰ পিয়ল)

ওপৰৰ তালিকাখনৰ পৰা এইটো স্পষ্ট হৈছে যে, চুতীয়াসকল অসমৰ মুঠ জনসংখ্যাৰ এক বুজন অংশ হোৱা স্বত্বেও কুৰি শতিকাৰ প্ৰথম দশকলৈকে চৰকাৰৰ উচ্চ পদবীত তেওঁলোকৰ প্ৰতিনিধিত্ব নাছিল। ব্ৰিটিছসকলেও কেৱল উচ্চ জাতিৰ লোকক গুৰুত্ব দিয়াত চুতীয়া প্ৰমুখ্যে অন্যান্য পিচপৰা শ্ৰেণীৰ লোকসকলৰ মাজত অৰ্থনৈতিক অনগ্ৰসতাই দেখা দিছিল। এনে পৰিস্থিতিয়ে চুতীয়াসকলৰ আৰ্থ-সামাজিক দিশত সুদূৰ-প্ৰসাৰী প্ৰভাৱ পেলাইছিল। অৱশ্যে পৰৱৰ্তী কালত চুতীয়া জাতি সন্মিলনৰ নেৰানেপেৰা প্ৰচেষ্টাত ১৯৭২ খ্ৰীঃত চুতীয়া জাতিক কেৱল শিক্ষাৰ ক্ষেত্ৰত 'অধিকতৰ অন্যান্য পিছপৰা শ্ৰেণী' (M.O.B.C.)ৰ অন্তৰ্ভূক্ত কৰিছিল যদিও তেওঁলোকৰ অৱস্থাৰ বিশেষ উন্নতি নহ'ল।[৫৬] সদৌ চুতীয়া জাতি সন্মিলন, অসম আৰু ভাতৃ সংগঠনসমূহৰ উমৈহতীয়া প্ৰচেষ্টাত চুতীয়া জাতিক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত 'জনজাতি' (Scheduled Tribes) তালিকাভুক্ত কৰিবৰ বাবে ১৯৭৯/৮০ খ্ৰীঃৰ পৰা অবিৰত আন্দোলন কৰি আহিছে।

---

৫৪ ঐ।

৫৫ ভাৰতবৰ্ষৰ পিয়ল; ১৯১১ চন।

৫৬ মাননীয় লোকসভাৰ চিলেক্ট কমিটিৰ অধ্যক্ষক সদৌ চুতীয়া জাতি সন্মিলনে প্ৰদান কৰা স্মাৰক পত্ৰ, ২৯ জুন ১৯৯৭, নতুন দিল্লী।



## চুবুৰীয়া দেশৰ পৰা অসমলৈ হোৱা অবাধ প্ৰবজন আৰু চুতীয়াসকলৰ অৰ্থনৈতিক অনগ্ৰসৰতাত ইয়াৰ প্ৰভাৱ

কোনো এখন দেশলৈ বিদেশী লোকৰ প্ৰবজন হোৱাটো এক আন্তৰাষ্ট্ৰীয় পৰিঘটনা। ব্ৰিটিছৰ ৰাজত্বৰ কালৰ পৰাই অসমলৈ বাংলাদেশ, ভুটান, নেপাল আদি দেশৰ উপৰিও ভাৰতবৰ্ষৰ উৰিষ্যা, কেৰেলা আদি ঠাইৰ পৰাও মানুহৰ আগমণ হৈছিল। ইংৰাজসকলে ঔপনিবেশিকতাবাদ সম্প্ৰসাণৰ অংশ স্বৰূপে পূববঙ্গৰ পৰা কিছুমান মানুহ আনি বিভিন্ন প্ৰশাসনীয় পদ, যেনে - শিক্ষক, চিকিৎসক, বিষয়া, কেৰাণী আদি কামত নিয়োজিত কৰিছিল।[৫৭] এই মধ্যবিত্ত শ্ৰেণীটোৰ লগত আন কিছুমান লোকেও ব্যৱসায়-বাণিজ্য কৰাৰ উদ্দেশ্যে অসমৰ বিভিন্ন স্থানত খোপনি পুতিছিলহি। চাহ উদ্যোগ, কয়লাখনি, তৈল উদ্যোগকে আদি কৰি ৰেলপথ নিৰ্মাণ, ডাক-তাঁৰ আৰু ৰাস্তা-ঘাট নিৰ্মাণ আদি কাম কৰিবলৈও তেওঁলোকে অসমৰ বাহিৰৰ পৰা শ্ৰমিক আমদানি কৰিছিল।[৫৮] তদুপৰি ইংৰাজসকলে অসমৰ পাহাৰ-ভৈয়ামৰ চন পৰা ভূমি ভাগক চাহ খেতিৰ বাবে সংৰক্ষণ আৰু প্ৰবজনকাৰী কৃষকসকলক সংস্থাপন কৰাত স্থানীয় জনগোষ্ঠীৰ লোকসকলৰ স্বাৰ্থ সাংঘাটিক ভাবে ক্ষতিগ্ৰস্ত হ'ল। এই সুযোগ গ্ৰহণ কৰি বাংলাদেশী কৃষকে কৃষিভূমিৰ সন্ধানত অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ নদী কাষৰীয়া ঠাই, সমভূমি আৰু বনাঞ্চলসমূহত প্ৰথমে মাটি দখল কৰি বাস কৰিবলৈ ধৰিলে। কুৰি শতিকাৰ দ্বিতীয় দশলৈকে ইংৰাজ সাম্ৰাজ্যবাদৰ সম্প্ৰসাৰণক উজান দি বাংলাদেশী লোকে অসমত স্থায়ীভাৱে থাকিবলৈ লয়। আনকি, বৰ্তমানেও ভাৰতবৰ্ষ তথা অসমলৈ এই প্ৰব্ৰজনৰ সোঁত অব্যাহত আছে। এইদৰে বহিৰাগত আৰু বিদেশীৰ অবাধ প্ৰব্ৰজনে খিলঞ্জীয়া জনসাধাৰণৰ জীৱন যাত্ৰাত এক অভাৱনীয় প্ৰভাব পেলালে। প্ৰতিপত্তিশীল লোকেক আদি কৰি প্ৰব্ৰজনকাৰীসকলেও কৌশলেৰে থলুৱা লোকৰ পৰা মাটি হস্তগত কৰি তেওঁলোকক বশ কৰাটো নৈমিত্তিক ঘটনা হৈ পৰিছিল। বিশেষকৈ ১৯ শতিকাৰ আৰম্ভণিৰ পৰাই সা-সম্পত্তি হস্তান্তৰিত কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজনৰ ফলত এই ভূমি হস্তান্তকৰণ প্ৰক্ৰিয়া অধীক তৰাম্বিত হৈছিল। এই নেতিবাচক প্ৰক্ৰিয়াই লক্ষীমপুৰ, ৰঙাজান, মৰিধল (অৰণ্যভূমি), দৈয়াঙ, মাইথাং, চৈখোৱা আদি ঠাইৰ অন্যান্য জনগোষ্ঠীৰ লগতে চুতীয়া লোকৰ অৰ্থনীতিৰ ওপৰতো বাৰুকৈয়ে প্ৰভাৱ পেলালে।[৫৯]

---

৫৭ Girin Phukan; For detail see "Politics of influx in Assam". Politics of Regionalism in North-east ndia, New Delhi, p.21.

৫৮ *ibid.*

৫৯ সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ সোণালী জয়ন্তীত সভাপতিৰ অভিভাষণ, চাৰিং শিৱসাগৰ, ১৯৭৪ চন।

তেওঁলোকে নিজ বাসভূমি এৰি দক্ষিণ আৰু পশ্চিমলৈ প্ৰব্ৰজন কৰিবলৈ লৈছিল। উত্তৰ-পূব ভাৰত (বৰ অসম)লৈ তেওঁলোকৰ প্ৰব্ৰজন ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, তিস্তা, ধৰ্লা, সোণকোষ আদি নদীৰ গতি অনুসৰণ কৰি হোৱাৰ উপৰিও হিমালয় আৰু অসম আৰু ম্যানমাৰৰ মাজত অৱস্থিত পৰ্বত মালাৰ গিৰিপথসমূহেদি ঘটিছিল। তেওঁলোকৰ কিছুমানে অসমৰ পাহাৰসমূহত বসতি স্থাপন কৰিছিল। আন কিছুমান হিমালয়ৰ পাদদেশত পূবে সদিয়াৰ পৰা পশ্চিমে পাঞ্জাব পৰ্যন্ত বিস্তৃত হৈ পৰিছিল। কালক্ৰমত তেওঁলোকে মন্‌খেমৰ ভাষী খাচী-জয়ন্তীয়া লোকসকলক পাহাৰলৈ খেদি ব্ৰহ্মপুত্ৰ উপত্যকাত নিজৰ বসতি স্থাপন কৰিছিল।[৬৯] উত্তৰ-পূৰ্বাঞ্চলৰ সকলো পাহাৰীয়া জাতি আৰু লগতে অসমৰ কছাৰী, চুতীয়া, মৰাণ, বৰাহী, বড়ো, ৰাভা, কোচ, মেচ, তিৱা (লালুং), হাজং আদি সকলোৰে এই মঙ্গোলীয় গোষ্ঠীৰ লোক। তেৰ শতিকাৰ আগভাগত অসমলৈ অহা আহোমসকল আৰু পৰৱৰ্তী কালত প্ৰবজন কৰা খামতি, ফাকিয়াল, চিংফৌ, আইতন, খাময়াং আদি লোকসকলো মঙ্গোলীয় টাই-শান গোষ্ঠীৰ।

তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ অন্তৰ্গত বড়ো ভাগটোৰে বৰ্তমানৰ বড়ো গোষ্ঠীৰ লোকসকলক বুজোৱাৰ উপৰি সামগ্ৰিকভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চলৰ প্ৰায় সকলো মঙ্গোলীয় লোককে বুজায়। **বড়ো** শব্দটো **বড়্** শব্দৰপৰা আহিছে আৰু ইয়াৰ অৰ্থ **পিতৃভূমি**। এসময়ত 'বড়' নামৰ দেশখন কেইবাটাও ভাগত বিভক্ত আছিল। ইয়াৰে দক্ষিণাংশত বৌদ্ধ লামাসকলে বসতি স্থাপন কৰিবলৈ লোৱাৰপৰা ইয়াৰ নাম হয় তিবৃত বা তিব্বেত।[৭০] চাৰ এডৱাৰ্ড গেইটে কৈ গৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো অনাৰ্য ভাষা, গাৰো পাহাৰ আৰু উত্তৰ কাছাৰৰ চলিত ভাষা আৰু কছাৰী বা মেছ, তিৱা বা লালুং আৰু ৰাভা ভাষাও বড়ো ভাষাৰে অন্তৰ্গত।[৭১] গেইটৰ মতে চুতীয়াসকলৰ পূৰ্বৰ ভাষাও বড়ো ভাষাৰ অন্তৰ্গত আছিল।[৭২] প্ৰসিদ্ধ ভাষাতত্ত্ববিদ কালিৰাম মেধিয়ে এই বিষয়ত অধ্যয়ন কৰি এই ভাষাবিলাকৰ মাজত থকা সাদৃশ্য দেখুৱাই থৈ গৈছে।[৭৩] ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ বহুতো নদী আৰু ঠাইৰ নাম বড়ো ভাষাৰ পানী অৰ্থ বুজোৱা **ডি** আৰু **টি** আখৰেৰে আৰম্ভ হৈছে, যেনে- ডিব্ৰু, দিহিং, দিবং, দিগাৰু, দিচাং, দিখৌ, ডিগবৈ, টিপাম, টিৰাপ, টিফুক, টিলাও ইত্যাদি।

---

৬৯ Choudhury, op. cit, p. 83; **The Comprehensive History of Assam**, vol.1, p.16.; **Kirata-Jana-Kriti**, pp. 21f.

৭০ R.M. Nath, **The Background of Assamese Culture**, Guwahati 1978, pp. 15f.

৭১ **A History of Assam**, pp. 5f.

৭২ Ibid, p.40.

৭৩ **অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব**, গুৱাহাটী ১৯৯৯, ইংৰাজীত লিখা পাতনি, পৃঃ ৪২



ডº সুনীতি কুমাৰ চেটাৰ্জীৰ মতে **কিৰাট** শব্দটো কোনোবা চীন-তিব্বতীয় জনজাতিৰ নামৰ সংস্কৃত ৰূপ।[৭৪] কোনো কোনো পণ্ডিতৰ মতে, পূব নেপালত **কিৰাণটিজ** নামৰ এজাতি তিব্বত-বৰ্মী মানুহ আছিল আৰু তেওঁলোকেই কালক্ৰমত **কিৰাট** নামে জনাজাত হয়। বাংলা ভাষাত **কিৰাট** বা **কিৰেট** শব্দই অতি কৃপণ, নিষ্ঠুৰ মানুহক বুজায়, বিশেষকৈ যিবোৰ মানুহে অধিক সুদত টকা ধাৰ দি মুনাফা আদায় কৰে। উত্তৰ প্ৰদেশ, ৰাজস্থান, মধ্য প্ৰদেশ আৰু মহাৰাষ্ট্ৰত **কিৰাড়** এটা জাতিৰ নাম। এই শব্দই শস্যৰ বেপাৰী বা ডকাইতক বুজায়।[৭৫]

**যজুৰ্বেদ**ত কিৰাটবিলাকক গুহাবাসী বুলি কোৱা হৈছে, **অৰ্থৰ্ববেদ**ত সোণৰ চিপৰাং বা খন্তিৰে পৰ্বতৰ ওখ ঠাইত মাটিৰ তলৰ পৰা ঔষধী গছৰ আলু বা শিপা খান্দি ফুৰা কিৰাতবংশী ছোৱালীৰ উল্লেখ আছে।[৭৬] এই কথাই ইঙ্গিত দিয়ে যে সেই সময়ত কিৰাট বা মঙ্গোলীয়সকলৰ বনৌষধিৰ কিছু জ্ঞান আছিল। পূৰ্বে উল্লেখিত **Periplus of the Erythrean Sea** নামৰ গ্ৰন্থত অসম আৰু ব্ৰহ্মদেশৰ পাহাৰত **Kirrhadae** নামৰ মানুহ থকাৰ কথা উল্লেখ আছে।[৭৭] এই **Kirrhadae** সকলক কিৰাটসকলৰ লগত চিনাক্ত কৰিব পাৰি।[৭৮]

ভাৰতীয় দৰ্শন আৰু ৰাজনৈতিক পৰিক্ৰমাত বিশেষ অৱদান আগবঢ়াব নোৱাৰিলেও ভাৰতীয় সংস্কৃতিৰ গঠন আৰু বিকাশত কিৰাট বা মঙ্গোলীয়সকলৰ ভূমিকা আছে। তেওঁলোকৰ নাৰীসকল সূতা-কটা আৰু কাপোৰ-বোৱাত অতি নিপুণ আছিল। পাট-কাপোৰৰ ব্যৱহাৰ চীন দেশৰপৰা ভাৰতবৰ্ষলৈ তেওঁলোকেই আনিছিল। কিৰাটসকল ধেনু-কাঁড় মৰাত সিদ্ধহস্ত আছিল। টেচিয়াচ (Ctesias) আৰু এলিয়ান (Aelian)-য়ে সিপ্তছ'ৰা (Siptachora) নামৰ এবিধ ফলৰ গছ কিৰাট অধ্যুষিত অঞ্চলত পোৱাৰ কথা উল্লেখ কৰিছে। এই গছৰপৰাই লা প্ৰস্তুত কৰিবপৰা হৈছিল আৰু এই লা মগধকে ধৰি ভাৰতবৰ্ষৰ অন্য ঠাইলৈ ৰপ্তানি কৰা হৈছিল।[৭৯] গতিকে ৰঞ্জন শিল্পত কিৰাটসকলৰ পাৰদৰ্শিতাৰ কথা জানিব পাৰি। **মহাভাৰত**ৰ সভাপৰ্বত পোৱা যায় যে লৌহিত্য অৰ্থাৎ প্ৰাগ্‌জ্যোতিষত বিভিন্ন ধৰণৰ মুকুতা, চন্দন আৰু অগৰু কাঠ, বিভিন্ন প্ৰকাৰৰ কাপোৰ, কম্বল, সোণ, ৰূপ আৰু অতি কঠিন এবিধ বহুমূলীয়া পাথৰ (Lapis-Lazuli) পোৱা

---

৭৪ **Kirati-Jana-Kriti**, p. 28.

৭৫ *ibid.*, pp. 28f.

৭৬ *ibid.*, p. 27.

৭৭ Choudhury, op. cit, p. 88.

৭৮ *ibid.*

৭৯ *ibid.*, p. 32f.

৮০ **Kirata-Jana-Kriti**, p. 33.

বিদেশী প্ৰব্ৰজনকাৰী সকলক চৰকাৰে বহিস্কাৰ কৰিব নোৱাৰাৰ বাবে অন্যান্য জনগোষ্ঠীসকলৰ লগতে চুতীয়াসকলেও নিজৰ সা-সম্পত্তি হেৰুৱাব লগা হয়। ইয়াৰ উপৰিও টকা ধাৰে দিয়া বিদেশী কাবুলীৱালাসকলৰ কু-কাৰ্যয়ো চুতীয়াসকলৰ আৰ্থ-সামাজিক দিশত যথেষ্ট প্ৰভাৱ পেলোৱাৰ উদাহৰণ বহুতো আছে। ভূতৰ ওপৰত দানহ পৰাদি স্বাধীন চৰকাৰে প্ৰৱৰ্ত্তন কৰা কৃষি চিলিং আইনৰ কাৰ্যকৰণেও চুতীয়াসকলৰ উপান্ত কৃষকসকলৰ জীৱিকা-নিৰ্বাহৰ ক্ষেত্ৰটো প্ৰতিবন্ধকতা সৃষ্টি কৰিলে।

এই প্ৰসঙ্গতে ১৯৪৭ খ্ৰীঃত শিৱসাগৰৰ চাৰিঙত অনুষ্ঠিত অসম চুতীয়া সন্মিলনৰ অষ্টাদশ অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাৱৰ কিয়দাংশ উল্লেখ কৰা হ'ল - 'অসম ৰাজ্যাঞ্চলত থকা সদ্য প্ৰবৰ্তিত চৰকাৰী মাটি নীতি কাৰ্যকৰী কৰিবলৈ লোৱাৰ ফলত অসমৰ কোনো এলেকাত আজি বহু বছৰ ধৰি ভোগ দখল কৰি অহা মাটিৰপৰা খেতিয়কক উচ্ছেদ কৰা কাৰ্যত সন্মিলনে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। এনেদৰে উচ্ছেদত আৰু উচ্ছেদৰ সন্মুখীন হোৱা ভালমান খেতিয়কেই ইতিমধ্যে মাটি চাহ কৰি থকাৰ কাৰণে আধিয়াৰ পট্টা পৰ্যন্ত লাভ কৰিবলৈ সমৰ্থ হৈছিল। এতিয়াৰ নতুন মাটি নীতি প্ৰবৰ্ত্তনৰ ফলত, স্বাৰ্থ হানি হোৱাৰ আশংকাত মাটি গিৰিসকলে উপৰোক্ত আধিয়াৰ পট্টা থকাৰ কথাও আওকাণ কৰি খেতিয়াকসকলৰ ওপৰত জোৰ জুলুম কৰি উচ্ছেদ কৰাৰ প্ৰয়াস অতিশয় দুখ আৰু পৰিতাপৰ কথা। এই ঘটনাৰ দৃষ্টান্ত হিচাবে ডিব্ৰুগড় জিলাৰ টিংখাং মৌজাৰ অন্তৰ্গত কেন্দুগুৰি বাগিছাৰ দাঁতিকাষৰীয়া এলেকাত কাছাৰৰ তাৰাপুৰৰ পৰা উঠি আহি বসবাস কৰা চুতীয়া খেতিয়াসকলৰ দুৰ্দশাৰ কথা আঙুলিয়াব পাৰি। তদুপৰি এই উচ্ছেদ কাৰ্যৰ দ্বাৰা চৰকাৰৰ ঘোষিত 'গৰিবী হটাও' নীতিৰো বিৰোধীতা কৰা হৈছে।[৬০] উদাহৰণস্বৰূপে, দৈয়াং সংৰক্ষিত বনাঞ্চলত বসবাস কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ ভিতৰত চাৰিভাগৰ তিনিভাগেই চুতীয়া জাতিৰ লোক। যোৱা দহ বছৰৰো অধিক কাল বসবাস কৰি থকা লোকসকলক চৰকাৰে উচ্ছেদ কৰাৰ ফলত এগৰাকী নিৰ্দোষী চুতীয়া ছাত্ৰীয়ে নিকৰুণভাবে মৃত্যু বৰণ কৰিবলগীয়া হ'ল। এনে ঘটনাৰ তীব্ৰ প্ৰতিবাদ কৰি সন্মিলনে দৃঢ়তাৰে দাবী কৰে যে ডিব্ৰুগড়ৰ বৰজান, দিলৌবাৰী, মাইথাং, ছৈখোৱা, কেন্দুগুৰি, গোলাঘাটৰ দৈয়াং নগাঁৱৰ ডেৰাপথাৰ, ভেৰাপথাৰ আৰু লুটুমাৰি, দৰঙৰ গহপুৰ আৰু দুবিয়া, লক্ষীমপুৰৰ ৰঙাজান, মৰিধল বনাঞ্চলত সুদীৰ্ঘ দিন বসবাস কৰি অহা চুতীয়া আৰু অন্যান্য লোকসকলক উচ্ছেদ নকৰি উল্লেখিত ঠাই সমূহতে বিশেষভাৱে বিধিগত সংস্থাপনৰ দিহা কৰিব লাগে। ইতিমধ্যে অসম চৰকাৰে সীমা বিবাদ মীমাংসাৰ নামত নগালেণ্ডৰ চৰকাৰৰ লগত যি কেইখন চুক্তিৰ স্বাক্ষৰ কৰিলে তাৰ ফলত অসমৰ সীমান্ত অঞ্চলৰ অসমবাসীৰ স্বাৰ্থ সংৰক্ষিত হোৱা নাই। সেইবাবে এনে চুক্তি বাতিল হোৱাৰ অনুকূলে সন্মিলনে মত প্ৰকাশ কৰে।[৬১]

[৬০] ঐ।
[৬১] ঐ



তদুপৰি জিলা চামিলকৰণৰ ব্যৱস্থাই চুতীয়াসকলৰ নিৰাপত্তা বিপদাপন্ন কৰাৰ বাবে সদৌ চুতীয়া জাতি সন্মিলনে তদানীন্তন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। উল্লেখ্য যে মিকিৰ পাহাৰ জিলা গঠনৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ আৰু নগাঁও জিলাৰ অন্য জনজাতীয় বিশেষকৈ এই চুতীয়া জাতিৰ লোকসকল বসবাস কৰা অঞ্চলত নৱগঠিত মিকিৰ পাহাৰ জিলাৰ সৈতে চামিল কৰাৰ ফলত উক্তলোকসকলৰ এচাম মিকিৰ ৰাইজৰ তাড়নাৰ সন্মুখীন হ'বলগীয়া হৈছে আৰু তেওঁলোকৰ নিৰাপত্তা নোহোৱা হৈছে বুলি সন্মিলনিৰ অভিভাষণত প্ৰকাশ। ইয়াৰোপৰি মিকিৰ পাহাৰ জিলাপৰিষদত এই অনা জনজাতীয় লোকসকলৰ কোনো প্ৰতিনিধিত্ব নোহোৱা কাৰণে তেওঁলোকৰ আশা-আকাংক্ষ্যা কোনো দিশতে পৰিপূৰ্ণ হোৱা নাই বুলি সন্মিলনে অভিযোগ কৰে। সেয়ে এই অনা জনজাতীয় তথা চুতীয়া জাতিৰ লোকৰ বসতিপূৰ্ণ সংশ্লিষ্ট অঞ্চলসমূহ আগৰ জিলা (শিৱসাগৰ আৰু নগাঁও)-ৰ সৈতে চামিল কৰিব লাগে নাইবা তেওঁলোকৰ নিৰাপত্তা আৰু যথাযোগ্য প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব লাগে বুলি সন্মিলনে দাবী কৰে।[৬২] ওপৰত উল্লেখিত সন্মিলনিৰ অভিযোগবিলাকে প্ৰমাণ কৰে যে চুতীয়া জাতিৰ লোকসকলে বিভিন্ন সময়ত বিভিন্ন ধৰণে প্ৰতাৰিত আৰু বিতাৰিত হোৱা পৰিলক্ষিত হৈছে। ফলস্বৰূপে তেওঁলোকে ব্যক্তিগত আৰু সামাজিক জীৱন বহু কষ্টেৰে অতিবাহিত কৰা দেখা গৈছে। কেৱল অৰ্থনৈতিক সমস্যাতে তেওঁলোকৰ জনজীৱন বিপদাপন্ন হোৱা নাই। বিদেশী প্ৰব্ৰজনৰ সমস্যাৰ উপৰি জিলা চামিল কৰণ, সীমা-বিবাদ আদি নানা ধৰণৰ সমস্যাই তেওঁলোকৰ জীৱনৰ নিৰাপত্তা নোহোৱা অৱস্থাৰ সৃষ্টি কৰিছে বুলি সদৌ চুতীয়া জাতিসন্মিলনে সময়ে সময়ে দাবী উত্থাপন কৰি আহিছে।

## চুতীয়াসকলৰ অৰ্থনীতিত বানপানী, গৰাখহনীয়া ইত্যাদি প্ৰাকৃতিক দুৰ্যোগৰ প্ৰভাৱ

অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ লগতে অন্যান্য সৰু-বৰ নদীসমূহে সৃষ্টি কৰি অহা প্ৰলয়কাৰী বানপানী আৰু প্ৰবল গৰাখহনীয়াই সৃষ্টি কৰা ভয়াৱহতাৰ কথা বহলাই কোৱাৰ প্ৰয়োজন নাই। এই দুৰ্যোগৰ ফলত হাজাৰ হাজাৰ লোক ভূমিহীন হৈ দৰিদ্ৰতাৰ গ্ৰাসত পৰিছে আৰু ইয়াৰ ফলশ্ৰুতিত এইসকল লোকৰ অৰ্থনৈতিক জীৱন পঙ্গু হৈ পৰাই নহয়, সমগ্ৰ অসমৰ অৰ্থনৈতিক বিকাশতো প্ৰতিবন্ধকতা আহি পৰিছে। এই দুৰ্যোগে অসমৰ অন্যান্য লোকসকলৰ লগতে গৰিষ্ঠ সংখ্যক চুতীয়া লোকো অনিষ্ট কৰি আহিছে।

[৬২] ঐ

চুতীয়াসকলৰ সৰহ সংখ্যক লোকেই অতীতৰ পৰা নদী কাষৰীয়া অঞ্চলত বাস কৰি অহাৰ ফলত এই লোকসকলৰ অৰ্থনৈতিক বিকাশত বানপানী আৰু গড়া খহনীয়াই ডাঙৰ প্ৰতিবন্ধকতা সৃষ্টি কৰি আহিছে। এনে দুৰ্যোগৰ ফলত কত শতাধিক চুতীয়া গাঁও উচন হ'ল আৰু ক'ত সহস্ৰাধিক চুতীয়া লোকৰ জনজীৱন অকাল দুৰ্ভিক্ষৰ গৰাহত পৰি আলৈ-এঠানি হ'ল তাৰ লেখ-জোখ নাই। এই ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰু পানীতোলা ৰাজহ চক্ৰৰ অধীনৰ ৰহমৰীয়া প্ৰমুখ্যে অঞ্চলসমূহ, ধেমাজি জিলাৰ ধেমাজি মহকুমা, লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা মহকুমা আৰু তেলাহী মৌজা, শোণিতপুৰ জিলাৰ গহপুৰ মহকুমা, যোৰহাট জিলাৰ মাজুলী, মৰিগাঁও জিলাৰ লাহৰীঘাট আদি অঞ্চলসমূহৰ বাসিন্দাসকল বেছি ভুক্তভূগী। উল্লেখযোগ্য যে চুতীয়াসকলৰ এক বৃহৎ সংখ্যক লোকে এই অঞ্চল সমূহৰ বাসিন্দা। গতিকে চুতীয়াসকলৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থাৰ কথা আলোচনা কৰিবলৈ হ'লে এই অঞ্চলসমূহৰ জনসাধাৰণৰ দুৰৱস্থাৰ কথা এৰাই চলিব নোৱাৰি। এই সমগ্ৰ অঞ্চলসমূহৰ ভিতৰত সৰ্বাধিক ক্ষতিগ্ৰস্থ হিচাপে পৰিচিত হোৱা ডিব্ৰুগড় চহৰৰ নিকটৱৰ্তী ৰহমৰীয়া অঞ্চল, ধেমাজি জিলাৰ বৰদলনি মৌজাৰ চমাৰজান, চিচি বৰগাঁও মৌজাৰ গাই নদী উপকণ্ঠ অঞ্চল, মাছখোৱা মৌজাৰ চিচি কলঘৰ অঞ্চল, লক্ষীমপুৰ জিলাৰ তেলাহী মৌজাৰ খগা, বামুণী জান, বৰচাপৰি অঞ্চল, গোঁহাই মৌজাৰ সোণাৰি চাপৰি, কেঁকুৰী, মৰনৈ বেবেজীয়া অঞ্চল, ঢকুৱাখনা মৌজাৰ বাঁহপৰা অঞ্চল, বিহপুৰীয়া মৌজা, শোণিতপুৰ জিলাৰ গহপুৰ মৌজাৰ গমিৰি, ঘিমৰুজান, মাগনি অঞ্চল আৰু মৰিগাঁও জিলাৰ লাহৰীঘাট মৌজাৰ পামবৰী আদি অঞ্চলসমূহৰ চুতীয়া ৰাইজৰ জনজীৱন বৰ্তমানে নাজল-নাথল অৱস্থা।

ডিব্ৰুগড় চহৰৰ নিকটৱৰ্তী ১৯ খন গাঁও আৰু ১২ খন চাহ বাগিচাৰে পৰিবেষ্টিত প্ৰায় ১০০ বৰ্গকিলোমিটাৰ মাটি কালিৰ ৰহমৰীয়া অঞ্চল ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়াত বিধ্বস্ত হোৱা অসমৰ এক চিনাকী নাম। বৃহত্তৰ ৰহমৰীয়া অঞ্চলৰ ১১ খন গাঁৱেই হৈছে চুতীয়া বসতি প্ৰধান। এসময়ৰ শষ্য-মৎস্য আৰু ব্যৱসায় বাণিজ্যৰে চহকী এই বৃহৎ অঞ্চলটোৰ বাসিন্দাসকলে ১৯৫০ চনৰ পৰাই প্ৰৱল গৰাখহনীয়াৰ কৱলত পৰি বৰ্তমান নিঃচিহ্ন হোৱৰ পথত। ভূতৰ ওপৰত দানহ পৰাদি চৈখোৱা বনাঞ্চলৰ উত্তৰেদি বৈ অহা লুইত আৰু দিবং নদীৰ একত্ৰিত জলৰাশিৰ অনন্ত নলা নামৰ এটা সুতি ১৯৯২ চনৰ পৰা চৈখোৱা বনাঞ্চলৰ দক্ষিণেদি বৈ আহি ক্ৰমান্বয়ে ঢলা, ডাঙৰী আৰু ডিব্ৰু নৈৰ লগ হৈ বৰলৈ ধৰে। এই অনন্ত নলাইদি প্ৰৱল ঢল অহাৰ লগে লগে ৰহমৰীয়াত আৰম্ভ হয় ভয়ঙ্কৰ গড়া খহনীয়া। বিগত ১৯৯৭ আৰু ১৯৯৮ চনৰ সময় ছোৱাৰে পৰা ৰহমৰীয়া অঞ্চলৰ বাসিন্দাসকলে বছৰে বছৰে তেওঁলোকৰ ঘৰবাৰী, খেতি মাটি, সা-সম্পদ হেৰুৱাই অকাল দুৰ্ভিক্ষৰ গৰাহত পৰিছে।



ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে ৰহমৰীয়াৰ ভয়াবহ গৰাখহনীয়া সমস্যাৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰে যিদৰে গুৰুত্ব প্ৰদান কৰিব লাগিছিল তেনে কোনো ধৰণৰ স্থায়ী সমাধানৰ উচিত ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ কৰা নাই। এই ভয়ংকৰ গৰাখহনীয়াৰ পৰা যদিহে ৰহমৰীয়াকে বচাব নোৱাৰে তেন্তে আৰু কেইবছৰ মানৰ ভিতৰতে ইয়াৰ কাষতে থকা মোহনবাৰী বিমানঘাটি, দিনজান সেনা ছাউনী, নাডুৱা এয়াৰ ফিল্ড, অসম চিকিৎসা মহাবিদ্যালয়কে আদি কৰি বুৰঞ্জী প্ৰসিদ্ধ ডিব্ৰুগড় চহৰো বচাব পৰা নহ'ব।

ধেমাজি জিলাৰ চকুলো হিচাবে খ্যাত গাই নদী আৰু জীয়াঢল কুমতীয়া নদীয়ে সৃষ্টি কৰা সন্ত্ৰাসৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। এই নদী দুখনে প্ৰতি বছৰে সৃষ্টি কৰা বানপানীয়ে সেই সমগ্ৰ অঞ্চলটোৰ অৰ্থনীতিত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। বানপানীৰ লগত অহা বালি আৰু পলসে শ শ হেক্টৰ মাটি মৰুভূমিত পৰিণত কৰাৰ ফলত নদী কাষৰীয়া চমাৰ জান, মৰিঢল, চিচি টঙানি, চিচি বৰগাঁও, যোকটা আদি অঞ্চলৰ কৃষিজীৱী ৰাইজৰ বিলৈ-বিপত্তিৰ সীমা নোহোৱা হৈছে।

উক্ত অঞ্চলৰ গৰিষ্ঠসংখ্যক বাসিন্দাই হৈছে চুতীয়া লোক। ধেমাজি জিলাৰ মাজেৰে যোৱা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে যাত্ৰা কৰিলে এই নদী দুখনৰ ধ্বংসলীলাৰ চানেকিবোৰ দেখিবলৈ পোৱা যায়। ঠিক সেইদৰে লক্ষীমপুৰ জিলাৰ বামুণীজান, বৰচাপৰি, বাহপৰা; মৰিগাঁও জিলাৰ পামবৰী আদি অঞ্চলবোৰত বানপানী আৰু গৰাখহনীয়াই সৃষ্টি কৰা চুতীয়াসকলৰ দুৰৱস্থা বৰ্ণনাতীত। ইয়াৰে লক্ষীমপুৰ জিলাৰ বামুণীজান নামৰ গাঁওখনৰ লোকসকল সোৱনশিৰি নৈৰ গৰাখহনীয়াত আৰু মৰিগাঁও জিলাৰ পামবৰী নামৰ গাঁওখনৰ লোকসকল ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত সৰ্বশ্ৰান্ত হৈ বৰ্তমান মথাউৰিৰ ওপৰত বসবাস কৰি আছে। এইসকল লোকৰ পুনৰ সংস্থাপনৰ বাবে আজিকোপতি চৰকাৰৰ কৃপাদৃষ্টি পৰা নাই। এনেদৰে বানপানী আৰু গৰাখহনীয়াৰ ফলত সৰ্বশ্ৰান্ত হোৱা অসমৰ বিভিন্ন ঠাইত আৰু কিমান সংখ্যক চুতীয়া লোক আছে তাৰ সীমা সংখ্যা নাই।

বানপানী আৰু গৰাখহনীয়াৰ উপৰিও যোৱা দুই-তিনটা বছৰে দেখা দিয়া অনাবৃষ্টিৰ ফলতো অন্যান্যসকলৰ লগতে চুতীয়াসকলো বাৰুকৈয়ে ক্ষতিগ্ৰস্থ হৈছে। পূৰ্বতে যিবোৰ ঠাইত বানপানী হৈছিল আৰু বানপানীৰ ফলশ্ৰুতিত বালি, পলস পৰি মৰুভূমিৰ সৃষ্টি কৰিছিল তেনেবোৰ ঠাইত যদি অনাবৃষ্টি হয় তাত কেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব সেই বিষয়ে বুজাই কোৱাৰ প্ৰয়োজন নাই। এই ধৰণৰ প্ৰাকৃতিক তাণ্ডৱৰ লীলা খেলা, বিশেষকৈ লক্ষীমপুৰ আৰু ধেমাজি জিলাৰ প্ৰায়বোৰ নদীকাষৰীয়া অঞ্চলতে দেখা যায়।

উপৰোক্ত আলোচনাৰ পৰা দেখা গ'ল যে, অন্যান্য কাৰকৰ লগতে

চুতীয়াসকলৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বানপানী, গৰাখহনীয়া আৰু অনাবৃষ্টি আদি প্ৰাকৃতিক দুৰ্যোগেও ডাঙৰ প্ৰতিবন্ধকতা সৃষ্টি কৰি আহিছে।

## নমুনা জৰীপৰ ভিত্তিত যুগুত কৰা প্ৰবন্ধৰ শেষ অংশ

ইতিহাস আৰু ঐতিহ্যৰে সমৃদ্ধ অসমৰ ভূমিপুত্ৰ চুতীয়া জাতি অৰ্থনৈতিভাবে অদ্যাপিও যে পিছপৰি আছে সেই কথা উপৰোক্ত আলোচনাৰ পৰা জনা গৈছে। সেই কথাটোকে পৰিসংখ্যাৰ ভিত্তিত প্ৰকাশ কৰিবৰ বাবে এই লেখাটি প্ৰস্তুত কৰোতে অসমৰ বিভিন্ন প্ৰান্তত কেন্দ্ৰীভূত হৈ থকা কেইখনমান চুতীয়া গাঁৱৰ আৰ্থ-সামাজিক অৱস্থাৰ এক জৰীপ কৰা হৈছিল। এই জৰীপ নমুনাৰ ভিত্তিত প্ৰস্তুত কৰা গাঁওকেইখৰ এটি সংক্ষিপ্ত বিৱৰণ দাঙি ধৰিবলৈ যত্ন কৰা হ'ল। জৰীপ কৰা গাঁওকেইখন প্ৰায়ে চুতীয়া অধ্যুষিত গাঁও। গাঁওসমূহৰ বাসিন্দাসকল প্ৰায় সৰহ ভাগেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। প্ৰতিখন জিলাৰ জৰীপ কৰা গাঁওকেইখনৰ জনসাধাৰণৰ জীৱিকাৰ পথ, সাধাৰণ শিক্ষা, উচ্চ শিক্ষা, ব্যৱসায়-বাণিজ্য আৰু জীৱনৰ মানদণ্ড ইত্যাদি পৰ্যায়ক্ৰমে বৰ্ণনা কৰা হৈছে। জৰীপ কৰা ৯ খন জিলাৰ ২৯ খনগাঁৱৰ নমুনাসহ প্ৰতিবেদনৰ ভিত্তিত ক্ৰম অনুসৰি ব্যাখ্যা কৰা হৈছে।

প্ৰথমতে জৰীপৰ পৰা পোৱা তথ্য সমূহ দাঙি ধৰা হৈছে।

(১) শিৱসাগৰ জিলাৰ ৬ খন গাঁও যথাক্ৰমে খনিকৰ গাঁও, দক্ষিণ বৰপথাৰ গাঁও. চমুৱা খনিকৰ গাঁও, জাপিসজীয়া গাঁও আৰু ২ নং কাঠপাৰা গাঁও। উক্ত পাঁচখন গাঁৱৰ মুঠ পৰিয়ালৰ সংখ্যা ৪৬০ ঘৰ আৰু জনসংখ্যা ২৯০৬ জন। সাধাৰণ শিক্ষিত ৩০ শতাংশ আৰু শিক্ষিত হাৰ ১৩ শতাংশ। কৃষিত সৰ্বোচ্চ ৭৪ শতাংশ আৰু নিম্নতম ৫০ শতাংশ। চাকৰিত সৰ্বোচ্চ হাৰ ২০ শতাংশ আৰু নিম্নতম ৫ শতাংশ; ব্যৱসায় বাণিজ্যত সৰ্বোচ্চ ১০ শতাংশ আৰু নিম্নতম ২ শতাংশ মাত্ৰ। দৰিদ্ৰতা সীমাৰেখা তলত গঢ়ে ৪০ শতাংশই বাস কৰিছে। প্ৰতিঘৰৰ মাটি ৯.১৫ শতাংশ আৰু জনমূৰি আয় ৫৩৭৬ টকা। গাঁৱকেইখনত চুতীয়ালোকৰ বাদেও অন্যান্য জনগোষ্ঠীৰ লোকো (যেনে - মুছলমান, আহোম, কলিতা, ব্ৰাহ্মণ আদি) বাস কৰিছে। উল্লেখিত দক্ষিণ বৰপথাৰ গাঁৱৰ বাহিৰে বাকীকেইখন গাঁৱৰ যাতায়ত, বিজুলী-যোগান, খোৱাপানী, টেলিফোন সেৱা শিক্ষা ব্যৱস্থাআদিৰ ক্ষেত্ৰত কিছু উন্নত।

(২) যোৰহাট জিলাৰ তিনিখন গাঁৱৰ যথাক্ৰমে পীড়াকটা ভৰলুৱা গাঁও, ফেচুৱালকাড়ী গাঁও আৰু ইকৰাণী লো-শলীয়া গাঁওৰ মুঠ পৰিয়ালৰ সংখ্যা ২৯০ ঘৰ আৰু মুঠ জনসংখ্যা ১৮৫৩ জন। সাধাৰণ শিক্ষিতৰ হাৰ ১৫ শতাংশৰ পৰা ২৫ শতাংশ মাত্ৰ; উচ্চ শিক্ষিত হাৰ সৰ্বোচ্চ ১৫ শতাংশ আৰু নিম্নতম ৮ শতাংশ। কৃষিত ৭০ শতাংশই নিৰ্ভৰশীল। চাকৰিত ৪ শতাংশৰ পৰা ১০ শতাংশ আৰু ব্যৱসায়ত গড়ে ৪ শতাংশ। উক্ত তিনিখন গাঁৱৰ আৰ্থ-সামাজিক দিশত বেছি পিছ পৰা। ফেচুৱালকাড়ী গাঁৱৰ যাতায়তৰ ব্যৱস্থা একেবাৰে অনুন্নত। বিজুলী যোগানাৰ ব্যৱস্থা আছে যদিও সংযোগ



নাই। টেলিফোনৰ লাইন নাই। চৰকাৰী দমকল আছে যদিও কামত অহা নাই, ফলত তেওঁলোকে পুখুৰীৰ পানী খাব লগীয়া হয়। চিকিৎসা উপকেন্দ্ৰ নামতহে আছে। গাঁওখনৰ ৩৭ ঘৰ মানুহেই দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰিছে। আনহাতে ইকৰাণী লো-শলীয়া গাঁৱৰ ১৩০ টা পৰিয়ালৰ ৭৬০ জনৰ ভিতৰত চাকৰীয়াল ১২ জন, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অধীনত ২ জন, চাহকৰ্মচাৰী ২ জন, সামৰিক বাহিনীত ২ জন, উকীল এজন, বন বিভাগত চাৰিজন চাকৰিয়াল থকাৰ বাদে বাকীসকল লোকে খেতি-পথাৰ নাইবা সাধাৰণ কাম-বন কৰিয়েই জীৱিকা নিৰ্বাহ কৰি দিন অতিবাহিত কৰিছে। আনখন গাঁও, পীড়াকটা ভৰলুৱা গাঁৱৰো অৱস্থাও উন্নত নহয়। গাঁওখনৰ ভিতৰৰ বাট-পথবোৰ কেঁচা। বাৰিষা বোকা হয়। গাঁওখনত বিদ্যুতৰ যোগান আছে যদিও অধিকাংশ লোকেই আৰ্থিক দৈন্যতাৰ বাবে ইয়াৰ সংযোগ কৰি ল'ব পৰা নাই। টেলিফোন লাইনৰ ব্যৱস্থাও নাই। অৱশ্যে সমৰ্থবান দুই-এজনে আধুনিক Cell-One (Mobile)-ৰ সুবিধা গ্ৰহণ কৰিছে। গাঁওবাসীয়ে ব্যক্তিগত পুখুৰীৰ পানী সেৱন কৰিছে। স্বাস্থ্য ৰক্ষাৰ বাবে কাকজান আৰু টীয়কৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰায় ৭ কিঃমিঃ দূৰলৈ যাব লাগে। এই গাঁৱৰ ভালেসংখ্যক মানুহেই দিনহাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰিছে। গাঁওখনৰ ৪৭ শতাংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে।

(৩) ডিব্ৰুগড় জিলাৰ ৫ খন গাঁও যেনে - ফটিকাছোৱা, আমগুৰি, উষাপুৰ খনিকৰ, নতুন চামনী আৰু হিলৈধাৰী গাঁৱৰ মুঠ পৰিয়ালৰ সংখ্যা ৬২০ ঘৰ আৰু মুঠ জনসংখ্যা ৪২২০ জন। গাঁওকেইখনৰ সাধাৰণ শিক্ষিত আৰু উচ্চ-শিক্ষিতৰ হাৰ যথাক্ৰমে ৩০ শতাংশ আৰু ১৫ শতাংশ; কৃষিৰ ওপৰত নিৰ্ভশীল ৬৫ শতাংশ; ঠিক তেনেকৈ চাকৰিত সৰ্বোচ্চ ২০ শতাংশ আৰু নিম্নতম ১৫ শতাংশ আৰু ব্যৱসায়-বাণিজ্যত সৰ্বোচ্চ ১০ শতাংশ আৰু সৰ্বনিম্ন ৩ শতাংশ লোকে নিজকে আত্মনিয়োগ কৰিছে। দৰিদ্ৰ সীমাৰেখাৰ তলত সৰ্বোচ্চ আৰু সৰ্বনিম্ন হাৰ ৫৭ শতাংশৰ পৰা ৩০ শতাংশই বাস কৰিছে। ফটিকাছোৱা গাঁওখনৰ মৰাণ নগৰৰ ২ কিঃমিঃ নিলগত অৱস্থিত হ'লেও গাঁওখনৰ অৱস্থা উন্নত নহয়। গাঁৱৰ ভিতৰলৈ যোৱা বাট-পথ কেঁচা। চিকিৎসক এজন, স্নাতকোত্তৰ ডিগ্ৰীধাৰী চাৰিজন, স্নাতক ৬ জন, শিক্ষক ৮ জন, সাধাৰণ ব্যৱসায়ী ১০ জন। আৰ্থিক দৈন্যতাৰ বাবে সকলো পৰিয়ালে বিদ্যুতৰ আৰু টেলিফোনৰ সংযোগ কৰিব পৰা নাই। সৰহ সংখ্যক লোকেই খেতিয়ক। দিনহাজিৰা কৰি খোৱা মানুহো আছে। আমগুৰি গাঁৱৰ ২০০ ঘৰ পৰিয়ালেই চুতীয়া জাতিৰ লোক। যাতায়ত, যোগাযোগ, পৰিবহণ, শিক্ষা আদিৰ ক্ষেত্ৰত এখন উন্নত পৰ্যায়ৰ গাঁও বুলিব পাৰি। প্ৰায়বোৰ লোকেই কৃষিজীৱী। গাঁওখনত ধানখেতি ভাল হয়। জনসংখ্যা অনুসৰি শিক্ষাৰ ক্ষেত্ৰত বিশেষ আগবঢ়া নাই। চাকৰি আৰু ব্যৱসায়ত তেনেই নগণ্য লোকেহে নিয়োজিত হৈ আছে। উষাপুৰ খনিকৰ গাঁৱখনৰ সৰহসংখ্যক লোকেই কৃষিজীৱী। ডিগবৈ নৈৰ উভটনি পানীয়ে

গাঁওখনৰ খেতি-পথাৰ প্ৰায়ে নষ্ট কৰে। অৱশ্যে অইল ইণ্ডিয়া লিমিটেড্‌ৰ আৰ্থিক অনুদানেৰে গাঁওখনৰ বাট-পথ কিছু উন্নত হৈছে। তদুপৰি, ভাৰতীয় তেল নিগম আৰু নেপকোৰ অধীনত কিছুলোকে চাকৰি কৰি পৰিয়ালৰ ভৰণ-পোষণ দিব পাৰিছে। আনহাতেদি নতুন চামনী গাঁও আৰু হিলৈধাৰী গাঁও; দুয়োখন ৰহমৰীয়া অঞ্চলৰ বান-বিধস্ত তথা গৰাখহনীয়াৰ কবলত পৰা আৰু সকলো দিশতে পিছপৰা গাঁও। গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবৰ বাবে এই গাঁওখন নতুনকৈ তদানীন্তন অগপ চৰকাৰে প্ৰতিঘৰ মানুহক এবিঘা বা আধা-বিঘাকৈ মাটি দি ঘৰ সাজিবলৈ সুবিধা কৰি দিছিল। ইয়াৰ বেছি ভাগ মানুহেই দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰিব লগা হৈছে। সেয়ে শিক্ষাৰ ক্ষেত্ৰত পিছপৰি আছে। হিলৈধাৰী গাঁওখন অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰায় ওচৰত বাবে স্বাস্থ্য, বিজুলী, যাতায়ত আদিৰ কিছু সুবিধা আছে। পৰিয়ালৰ ভৰণ-পোষণৰ বাবে সংগ্ৰাম কৰিব লগাহোৱাত নিজৰ ল'ৰা-ছোৱালীক সাধাৰণ শিক্ষাৰ বাহিৰে উচ্চ শিক্ষা গ্ৰহণ কৰাব পৰা নাই।

(৪) তিনিচুকীয়া জিলাৰ তিনিখন গাঁও যথাক্ৰমে চেঙেলী চুতীয়া গাঁও, বৰজান বনগাঁও, বৰগাঁও (মাকুম) আৰু বৰগাঁও ফিল'বাৰী গাঁও। গাঁওকেইখনৰ মুঠ পৰিয়ালৰ সংখ্যা ৫৭৭ ঘৰ আৰু মুঠ জনসংখ্যা ৩৮৩০ জন। চেঙেলীজান চুতীয়া গাঁওখন অসম অৰুণাচল প্ৰদেশৰ সীমান্ত ডিৰাকৰ ওচৰত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত অৱস্থিত। গাঁৱৰ ভিতৰুৱা বাট-পথ ভাল নহয়।

গাঁওকেইখনৰ সৰ্বোচ্চ সাধাৰণ শিক্ষিত আৰু সৰ্বনিম্ন হাৰ যথাক্ৰমে ৬০-ৰ পৰা ২০ আৰু উচ্চশিক্ষিত ৩৯ শতাংশৰ পৰা ১০ শতাংশ মাত্ৰ। চেঙেলী চুতীয়া গাঁও বৰ্তমান আহোম, মটক, কেওত আদি সম্প্ৰদায়ৰ মানুহো বাস কৰে যদিও চুতীয়া জাতিৰ লোকৰ সংখ্যাই অধিক। বিজুলী আৰু খোৱাপানীৰ অসুবিধা নেথাকিলেও স্বাস্থ্যকেন্দ্ৰৰ বাবে প্ৰায় ৭ কিঃমিঃ দূৰত্বত থকা কাকপথাৰ চিকিৎসা কেন্দ্ৰলৈ তেওঁলোক যাবলগীয়া হয়। শিক্ষাৰ বাবে দুখন প্ৰাথমিক বিদ্যালয় আৰু এখনকৈ মধ্য-ইংৰাজী আৰু হাইস্কুল আছে। উচ্চ শিক্ষাৰ বাবে কাকপথাৰ আৰু ডুমডুমালৈ ছাত্ৰ-ছাত্ৰীসকল যাব লাগে। বৰজান বনগাঁও ডিগবৈ নগৰৰ পৰা প্ৰায় ৭ কিঃমিঃ পশ্চিমে আপাৰ দিহিং বনবিভাগৰ কাষতে অৱস্থিত। গাঁওবাসীৰ কাৰোৱেই ম্যাদী পট্টা নাই। ভাৰতীয় তেল নিগমৰ বিভিন্ন অনুদানে গাঁওখনৰ বিভিন্ন দিশত উন্নতিত কিছু ইন্ধন যোগায়। বিদ্যুতৰ ব্যৱস্থা আছে। কিন্তু টেলিফোনৰ ব্যৱস্থা নাই। গাঁওখনৰ বিভিন্ন জনগোষ্ঠীৰ মুঠ ২২০ ঘৰ মানুহৰ ভিতৰত ১৫০ ঘৰ লোকেই চুতীয়া। উল্লেখ্য যে গাঁওখনৰ শইকীয়া উপাধি লিখা লোকসকলে প্ৰায় ১৯৫৪ চনলৈকে চুতীয়া উপাধি লিখিছিল বুলি জানিব পৰা গৈছে। গাঁওখনত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৩ জন আৰু ১৫ জন স্নাতক আছে। বৰ্তমান গাঁওখনৰ শিক্ষা ব্যৱস্থা পঁয়ালগা। বিদ্যালয়ত শিক্ষনীয় সামগ্ৰীৰ অভাৱ, শ্ৰেণী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ



অভাবে শিশুসকলক বা মানব সম্পদ প্ৰকৃতাৰ্থত গঢ়াত কিমান সফল হ'ব সেয়া সন্দেহৰ বিষয়। পানীযোগান আছে কিন্তু ৰাইজে পানী খাবলৈ পোৱা নাই। বৰগাঁও (মাকুম) তিনিচুকীয়া জিলাৰ মাকুমৰ পৰা প্ৰায় ৭ কিঃমিঃ উত্তৰে অৱস্থিত। গাঁওখনৰ মানুহবোৰে চুতীয়া, গোঁহাই, দুৱৰা, চাউৰক, শইকীয়া, খাটোৱাল আদি উপাধি লিখিলেও আটায়ে চুতীয়া জাতিৰ লোক। গাঁওখনত চৰকাৰী স্বাস্থ্য কেন্দ্ৰ নাই। গাঁৱত বিজুলী যোগান আছে যদিও বেছি সংখ্যক লোকৰ ঘৰতে এই সুবিধা উপলব্ধ নহয়। ২৩০ ঘৰ মানুহৰ ভিতৰত মাত্ৰ ৩৬ ঘৰতহে চাকৰি কৰা মানুহ আছে। শিক্ষাৰ বাবে গাঁৱৰ ওচৰতে হাইস্কুল, মধ্য-ইংৰাজী স্কুল আৰু প্ৰাথমিক বিদ্যালয় একোখনকৈ আছে। জনসংখ্যা অনুপাতে শিক্ষাত যিমান আগবাঢ়িব লাগে সিমান আগবঢ়া নাই। বিংশ শতিকাৰ মাজভাগত অসমৰ প্ৰলয়ংকাৰী ভূমিকম্প আৰু সমুদ্ৰ সদৃশ বানপানী বিধস্ত হৈ সৰ্বশ্ৰান্ত হোৱা এচাম মানুহক তদানীন্তন চৰকাৰে ফিল'বাৰীত পুনৰ সংস্থাপিত কৰিছিল। এই ফিল'বাৰী আছিল সেই সময়ত এখন অটব্য অৰণ্য। ফিল'বাৰী চাহ-বাগিছাখনৰ নামেৰেই এই অঞ্চল ফিল'বাৰী বৰগাঁও নামেৰে জনাজাত। বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ পৰা মুক্ত এই অঞ্চল চাহ, ধান, কুঁহিয়াৰ আদি খেতিৰ বাবে অত্যন্ত উপযোগী ঠাই। অঞ্চলটোত ধীৰ গতিৰে শিক্ষাৰ পোহৰ পৰিছে। যাতায়তৰ ক্ষেত্ৰত দুৰ্গম হিচাবে বিবেচিত হোৱা এই ভিতৰুৱা অঞ্চলটোৰ ৰাস্তা-পদুলি, চিকিৎসা সেৱা, শিক্ষা, কৃষিৰ উন্নয়ণ, পশু চিকিৎসা, যোগাযোগ (ডাকতাঁৰ, টেলিফো, ফেক্স, ইণ্টাৰনেট) বিজুলী যোগান, জলসিঞ্চন আদি সকলো ক্ষেত্ৰতে উন্নয়নৰ বাবে ৰাইজৰ সহযোগিতাত ৰাজনৈতিক প্ৰচেষ্টা চলোৱাৰ বিকল্প নাই। সৰ্বসাধাৰণ ৰাইজৰ সহযোগিতা আৰু চৰকাৰৰ উপযুক্ত পদক্ষেপৰ ওপৰতেই ফিল'বাৰীৰ সৰ্বতো প্ৰকাৰ উন্নতি নিৰ্ভৰ কৰিছে।

(৫) গোলাঘাট জিলাৰ বেতিয়নী গাঁৱৰ মুঠ পৰিয়াল ৬২ ঘৰ আৰু মুঠ জনসংখ্যা ৩৭০ জন। সাধাৰণ শিক্ষিতৰ হাৰ আৰু উচ্চ শিক্ষিতৰ হাৰ যথাক্ৰমে ৬০ আৰু ৩২ শতাংশ। ইয়াৰ গৰিষ্ঠ সংখ্যকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। চাকৰি আৰু ব্যৱসায় যথাক্ৰমে ৬৫ শতাংশ আৰু ২২ শতাংশ। গাঁওখনৰ যাতায়ত, বিজুলী-যোগান আৰু শিক্ষাৰ বাবে প্ৰয়োজনীয় চাহিদা পূৰণ কৰিব পৰা ব্যৱস্থা আছে। গাঁওখনৰ প্ৰায় ৩০ জন ব্যক্তিয়ে চৰকাৰী আৰু বেচৰকাৰী চাকৰি কৰে। সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। গাঁওখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা আন চুতীয়া গাঁৱতকৈ কম।।

(৬) দৰং জিলাৰ ১নং মহলীয়াপাৰা গাঁৱৰ মুঠ পৰিয়াল ২২ ঘৰ আৰু জনসংখ্যা ১৮০ জন। এই গাঁওখন অতি পিছপৰা গাঁও। ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা মতে এই গাঁওখনতে চুতীয়া ৰাজকুমাৰ সাধক নাৰায়ণৰ বংশধৰসকল বাস কৰে। ৰৌতা চহৰৰ পৰা গাঁওখনলৈ প্ৰায় ১৫ কিঃমিঃ দূৰত্ব। ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা গাঁওখনলৈ ৬ কিঃমিঃ

কেঁচা পথেৰে সোমাই যাব লাগে। সাধাৰণ শিক্ষিত হাৰ ১০ শতাংশ আৰু উচ্চ শিক্ষিত মাত্ৰ ২ শতাংশ। চাকৰিয়ালৰ সংখ্যা মাত্ৰ ৪ জন। পাঁচজন ব্যক্তিহে স্নাতক। মহিলাসকলৰ সৰহসংখ্যকেই নিৰক্ষৰ। কৃষিৰ ওপৰত ৮০ শতাংশই নিৰ্ভৰশীল। চাকৰি আৰু ব্যৱসায়ত যথাক্ৰমে ১০ শতাংশ আৰু ৫ শতাংশ লোকে আত্মনিয়োগ কৰিছে। এই গাঁওখনৰ জনসাধাৰণ অধিকাংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে।

(৭) বৰবিল গাঁৰ (মাজুলী)-ৰ মুঠ পৰিয়ালৰ সংখ্যা মুঠ ২০০ ঘৰ আৰু মুঠ জনসংখ্যা ১৪০০ জন। সাধাৰণ আৰু উচ্চ শিক্ষিতৰ হাৰ যথাক্ৰমে ৪৫ শতাংশ আৰু ১০ শতাংশ। গাঁৰৰ ৯০ শতাংশই কৃষিৰ ওপৰত নিৰ্ভৰশীল। চাকৰি আৰু ব্যৱসায়ৰ ক্ষেত্ৰত যথাক্ৰমে ২৫ শতাংশ আৰু ৫ শতাংশ মাত্ৰ। দৰিদ্ৰ সীমাৰেখাৰ তলত ২০ শতাংশ লোকে বাস কৰে। গাঁওখনত ৪০ জন চাকৰিয়াল। ১২ জন পুৰুষ আৰু ৪ গৰাকী মহিলা স্নানকোত্তৰ ডিগ্ৰীধাৰী। গাঁৰৰ মাজেদি গড়কাপ্তানী পথ গৈছে যদিও বাৰিষা বানপানীৰ ফলত যোগাযোগ বিচ্ছিন্ন হয়। গাঁওখনত বিজুলীযোগান আছে যদিও ইয়াৰ যোগান অনিয়মীয়া। প্ৰাথমিক চিকিৎসা আৰু শিক্ষাৰ ক্ষেত্ৰত গাঁওবাসীৰ বিশেষ অসুবিধা নাই।

(৮) ধেমাজী জিলাৰ চুতীয়াকাঁড়ী গাঁৰৰ মুঠ পৰিয়ালৰ সংখ্যা ৮২ ঘৰ আৰু জনসংখ্যা ৫৫০ জন। সাধাৰণ আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা গাঁও। সাধাৰণ আৰু উচ্চশিক্ষা ক্ৰমে ২০ আৰু ১১ শতাংশ। কৃষিৰ ক্ষেত্ৰত ৬৫ শতাংশ নিৰ্ভৰশীল। চাকৰি আৰু ব্যৱসায়ত যথাক্ৰমে ২৮ শতাংশ আৰু ৪ শতাংশ। এতিয়াও প্ৰায় ৮৫ শতাংশ মানুহেই দৰিদ্ৰতাৰ সীমাৰেখাৰ অধীনত বাস কৰিছে।

(৯) উক্ত জিলাৰ বুঢ়াকুৰি গাঁৰৰ পৰিয়ালৰ মুঠ সংখ্যা ১২০ ঘৰ আৰু মুঠ জনসংখ্যা ৫০০ জন। গাঁওখনৰ প্ৰায় ৬০ শতাংশ মানুহেই শিক্ষিত আৰু ২০ শতাংশ উচ্চশিক্ষিত। শতকৰা ৭০ ভাগ কৃষক। চাকৰি আৰু ব্যৱসায়ত প্ৰায় ২৫ আৰু ৫ শতাংশ লোকে আত্মনিয়োগ কৰি আছে। গাঁৰখনৰ প্ৰায়বোৰ ঘৰতেই টিনপাত লগোৱা আৰু প্ৰায় ৪০ শতাংশ মানুহৰ ঘৰ পকী। গাঁওখনৰ মানুহবোৰৰ অৱস্থা কিছু উন্নত হ'লেও জীয়াধল নদীৰ পানীয়ে প্ৰায়ে খেতি-পথাৰ নষ্ট কৰে। গাঁওখনত চিকিৎসালয় নাই। স্বাস্থ্য ৰক্ষাৰ বাবে ৩ কিঃমিঃ দূৰত থকা বৰদলনি ৰাজ্যিক চিকিৎসালয় নাইবা ধেমাজি চিভিল হাস্পাটাললৈ যাব লগা হয়। দৰিদ্ৰ সীমাৰেখাৰ তলত ১০ শতাংশ মানুহে বসবাস কৰি আছে। শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়িব পাৰিছে।

(১০) লক্ষীমপুৰ জিলাৰ উজনী কেকুৰী (কেকুৰী বেবেজীয়া) গাঁৰৰ মুঠ পৰিয়ালৰ সংখ্যা ১০০ ঘৰ আৰু মুঠ জনসংখ্যা ৫৬০ জন। সাধাৰণ শিক্ষিত আৰু উচ্চ শিক্ষিতৰ হাৰ যথাক্ৰমে ৩৪ শতাংশ আৰু ১২ শতাংশ। গাঁওখনৰ প্ৰায় ৮০ শতাংশ লোকেই কৃষিজীৱি। চাকৰি আৰু বাণিজ্যত ক্ৰমে ২০ শতাংশ আৰু ৫ শতাংশ লোকে নিজকে নিয়োজিত কৰিছে। গাঁওখনৰ সকলো মানুহেই চুতীয়া জাতিৰ। গাঁওখনৰ মাত্ৰ



১৫ জন লোক চাকৰিয়াল। গাঁওখনত তথা ইয়াৰ ওচৰত এখন হাইস্কুল, দুখন প্ৰাথমিক বিদ্যালয় আৰু এখন মধ্য ইংৰাজী বিদ্যালয় আছে। বৰ্তমান বৃহৎ কেকুৰী বেবেজীয়া অঞ্চলটো পূৰ্বতে একেখন ৰাজহ গাঁৱেই আছিল। কালক্ৰমত ইয়াৰ জনসংখ্যা বৃদ্ধি পোৱাত সেই গাঁওখনেই পাঁচটা ভাগত বিভক্ত হৈ বৰ্তমান উজনি কেকুৰী, মধুপুৰ, ভাটি কেকুৰী, কৰৈগুৰি আৰু বগৰিগুৰি নামেৰে একো একোখন সুকীয়া গাঁৱত পৰিণত হৈছে। ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে লোৱা উজনি কেকুৰী গাঁওখনৰ ভিতৰুৱা বাট-পথবিলাক কেঁচা। আৰ্থিক অনাটনৰ বাবে গাঁওখন সকলো দিশতে পিছপৰি আছে। পানীযোগান, টেলিফোন আদি আধুনিক জগতৰ সা-সুবিধাবিলাকো সৰহ সংখ্যকেই গ্ৰহণ কৰিব পৰা নাই। প্ৰায় ৮০ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰি আছে।

(১১) নগাঁও জিলাৰ পাঁচখন গাঁও যথাক্ৰমে গড়আলি গাঁও, আইভেটি গাঁও, বৰভেটি গাঁও, পূৱসৰা গাঁও আৰু ভালুকমাৰী গাঁও। গাঁওকেইখনৰ মুঠ পৰিয়ালৰ সংখ্যা ৩৪৮ ঘৰ আৰু মুঠ জনসংখ্যা ১৫৬০ জন। গাঁওকেইখনৰ প্ৰায়ভাগ লোকেই কৃষিজীৱী। সৰ্বোচ্চ ৭০-ৰ পৰা ৫৫ শতাংশ লোকেই ধানখেতিৰ ওপৰত নিৰ্ভৰশীল। সাধাৰণ শিক্ষাৰ সৰ্বোচ্চ ৬০-ৰ পৰা সৰ্বনিম্ন ২৫ শতাংশ আৰু উচ্চ শিক্ষাৰ উচ্চতম হাৰ ২৫-ৰ পৰা ১০ শতাংশ মাত্ৰ। গাঁওকেইখনৰ চাকৰি কৰা লোকৰ সৰ্বোচ্চ ২৫ শতাংশৰ পৰা ২ শতাংশ আৰু ব্যৱসায়ত সৰ্বোচ্চ ১০-ৰ পৰা ২ শতাংশ লোক নিয়োজিত হৈ আছে। গড়আলি গাঁওখনৰ লোকে গড়ে ১৫ বিঘাকৈ মাটিত খেতি কৰে আৰু গড়ে ২ বিঘা মাটিত ৰবি শস্য কৰি জীৱিকা নিৰ্বাহ কৰে। গাঁওখনত ১০ জন চাকৰিয়াল আছে। অৰ্থনৈতিকভাবে গাঁওখন কিছু উন্নত। তথাপিও দৰিদ্ৰতা সীমাৰেখাৰ তলত ২৫ শতাংশ লোকে বাস কৰি আছে। ঠিক সেইদৰে আয়ভেটি গাঁওৰ ৰাইজে গড়ে ১৭ বিঘামান খেতিৰ মাটি আৰু ২ বিঘাকৈ ৰবি শস্যৰ বাবে ব্যৱহাৰ কৰে। গাঁওখনত ১২ জন লোকে চাকৰি কৰে, বাকীসকলে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে বৰভেটি গাঁওখনৰ আৰ্থিক অৱস্থা একেবাৰে অনুন্নত। গড়ে ৩ বিঘাকৈ ৰূপিত মাটি আৰু ২ বিঘাকৈ বামমাটিত প্ৰয়োজনীয় শাক-পাচলি আদি খেতি কৰি বছৰটোৰ কেইমাহমানহে খাব পাৰে। গাঁওখনৰ ৬০ শতাংশ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে। সকলো দিশতে গাঁওবাসীসকল পিছপৰা। উক্ত জিলাৰ পূৱসৰা গাঁওখনৰ অৰ্থনৈতিক অৱস্থা তুলনামূলকভাবে কিছু উন্নত। প্ৰতিঘৰে গড়ে ১০ বিঘা মাটিত ধানখেতি কৰে আৰু ৩ বিঘা মাটিত বাম খেতি কৰে। গাঁওখনৰ ২২ জন লোকে চাকৰি কৰে। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰটো কিছু আগবঢ়া। অৱশ্যে উচ্চ শিক্ষিত মানুহৰ সংখ্যা আঙুলি-মূৰত গণিব পৰা। আনহাতে ভালুকমাৰী গাঁওখনৰো পূৱসৰা গাঁওখনৰ সৈতে কিছু সাদৃশ্য আছে। এই পূৱসৰা গাঁওখনৰ প্ৰতিঘৰ মানুহে ১০ বিঘাকৈ ধানখেতি আৰু আঢ়ৈ ($২^১/_২$) বিঘাকৈ মাটিত ৰবি শস্য কৰি বছৰটোৰ বাবে খাদ্য শস্য গোটাই লয়। গাঁওখনত ১৯ জন লোকে চাকৰি কৰে। উল্লেখিত দুয়োখন গাঁৱৰে দৰিদ্ৰ

সীমাৰেখাৰ তলত বাস কৰা মানুহ নগণ্য। উক্ত পাঁচখন গাঁৱৰ ভিতৰত বৰভেটি গাঁওখনেই আটাইতকৈ সৰ্বদিশতে অনগ্ৰসৰ হৈ আছে। নগাঁও চহৰৰ পৰা গাঁওকেইখন গড়ে ১৫ বা ১৬ কিঃমিঃ নিলগত থকা বাবে ভিতৰুৱা বাট-পথবোৰ উন্নত নহয়। বিজুলী, টেলিফোন, খোৱাপানী, চিকিৎসা সেৱা আৰু অন্যান্য সা-সুবিধাবোৰ সকলোৱে আৰ্থিক দৈনত্যাৰ বাবে গ্ৰহণ কৰিব পৰা নাই।

ওপৰত জৰীপ নমুনাসহ দাঙি ধৰা ৯ খন জিলাৰ মুঠ ২৯ খন গাঁৱৰ বিষয়ে পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি কৰা আলোচনাৰ পৰা দেখা গ'ল যে সামগ্ৰীকভাৱে চুতীয়াজাতিৰ অধ্যুষিত গাঁওসমূহ যথেষ্ট পিছপৰি আছে। প্ৰকৃতাৰ্থত এখন গাঁও এক আদৰ্শ গাঁৱলৈ উন্নিত হ'বলৈ হ'লে গাঁওখনৰ সকলো মানুহে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবাঢ়িবলৈ সুযোগ-সুবিধা পাব লাগে। তদুপৰি আৰ্থিকভাবে সবল হ'বলৈ হ'লে তেওঁলোকৰ নিম্নতম সা-সুবিধা থাকিব লাগে। অঞ্চলটোৰ উন্নতিত যাতায়ত, যোগাযোগ আৰু পৰিবহনৰ সুব্যৱস্থাও নিৰ্ভৰশীল। চুতীয়া অধ্যুষিত গাওঁবোৰ বেছিভাগেই ভিতৰুৱা অঞ্চলত অৱস্থিত হোৱা বাবেও তেওঁলোকে বহুক্ষেত্ৰত অন্যান্য উচ্চবৰ্ণ অসমীয়া লোকৰ তুলনাত পিছপৰা বুলি সদৌ চুতীয়া জাতি সন্মিলনে প্ৰায়েই অভিযোগ উত্থাপন কৰে। সেয়ে বোধকৰো অৰ্থনৈতিক আৰু সামাজিক অনগ্ৰসৰতা দূৰীকৰণৰ উদ্দেশ্যে ৰাজনৈতিক ক্ষমতাৰ সংগ্ৰামত তেওঁলোকৰ একাংশ শিক্ষিত লোকে জাতিটোৰ লোকসকলক সংগঠিত কৰি নেৰানেপেৰাকৈ ব্ৰতী হৈ থকা পৰিলক্ষিত হৈছে।

**নমুনা জৰিপৰ ভিত্তিত প্ৰস্তোত কৰা অসমৰ অসমৰ ৯ খন জিলাৰ কেইখনমান গাঁৱৰ অৰ্থনৈতিক অৱস্থাৰ পৰিসংখ্যা**

| ক্ৰমিক নং | নমুনা (গাঁও) | জিলা | পৰিয়ালৰসংখ্যা (ঘৰ) | জনসংখ্যা (জন) | সাধাৰণ শিক্ষা (%) | উচ্চ শিক্ষা (%) | জীৱিকাৰ হাৰ: কৃষি (%) | জীৱিকাৰ হাৰ: চাকৰি (%) | জীৱিকাৰ হাৰ: ব্যৱসায় (%) | দৰিদ্ৰ সীমা ৰেখাৰ তলৰ হাৰ (%) |
|---|---|---|---|---|---|---|---|---|---|---|
| ১ | চেঙেলীজান গাঁও | তিনিচুকীয়া | ৬৭ | ৪৬৯ | ৪০ | ২৫ | ৬৫ | ২৫ | ১০ | ৩০ |
| ২ | বৰজান গাঁও | ঐ | ১৫০ | ১৪২৫ | ৩০ | ১৫ | ৬৬ | ২০ | ১০ | ৫০ |
| ৩ | বৰগাঁও (মাকুম) | ঐ | ২৩০ | ১২০০ | ২০ | ১৫ | ৬০ | ২০ | ৮ | ৫০ |
| ৪ | বৰগাঁও (ফিল'বাৰী) | ঐ | ১৩০ | ৭৪০ | ৩০ | ১০ | ৬২ | ২০ | ৫ | ৪০ |
| ৫ | বেতৰনী কাকতী গাঁও | গোলাঘাট | ৬২ | ৩৭০ | ৫০ | ৩০ | ৬৫ | ২২.৪৪ | ৮ | ১০ |
| ৬ | ২ নং মহলীয়াপাৰা গাঁও | দৰং | ২২ | ১৮০ | ১০ | ২ | ৮ | ১০ | ৫ | ৮০ |
| ৭ | চুতীয়াকাঁড়ী গাঁও | ধেমাজী | ৮২ | ৫৫০ | ২০ | ১১ | ৬৫ | ২৮ | ৪ | ৮০ |
| ৮ | উজনি কেকুৰী গাঁও | লক্ষীমপুৰ | ১০০ | ৫৬০ | ৩৪ | ১২ | ৮৫ | ২০ | ৫ | ৮০ |
| ৯ | বুঢ়াকুৰী গাঁও | ধেমাজী | ১২০ | ৫০০ | ৫০ | ২০ | ৭০ | ২৫ | ৫ | ৫ |
| ৯ | গড়আলি গাঁও | নগাঁও | ৪০ | ২৫০ | ৪৫ | ২৫ | ৬৫ | ১০ | ৫ | ২৫ |
| ১০ | আয়ভেটি গাঁও | ঐ | ৪০ | ২৫০ | ৪০ | ১০ | ৬০ | ৫.২ | ২ | ২০ |
| ১১ | বৰভেটি গাঁও | ঐ | ৬৮ | ৪৫০ | ১৫ | ১২ | ৫৫ | ২ | ২ | ৬০ |
| ১২ | পূবসৰা গাঁও | ঐ | ৪০ | ২৬০ | ৪৫ | ১৫ | ৫৬ | ১৫ | ১০ | ৫ |

নমুনা জৰিপৰ ভিত্তিত প্ৰস্তোত কৰা অসমৰ অসমৰ ৯ খন জিলাৰ কেইখনমান গাঁৱৰ অৰ্থনৈতিক অৱস্থাৰ পৰিসংখ্যা

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ১৩ | ভালুকমাৰী গাঁও | ঐ | ১০০ | ৬০০ | ৪০ | ২০ | ৭০ | ১৫ | ১০ | ৫ |
| ১৪ | বৰবিল গাঁও | মাজুলী | ২০০ | ১৪০০ | ৪৫ | ১০ | ৯০ | ২৫ | ৫ | ২০ |
| ১৫ | খনিকৰ গাঁও | শিৱসাগৰ | ১৭০ | ১০০০ | ২৬ | ১১ | ৬৮ | ৫ | ৬ | ৫৮.৮ |
| ১৬ | অগ্নিগড় খনিকৰ গাঁও | ঐ | ৮৫ | ৫৪৬ | ২০.৭৭ | ১৮ | ৭৪.৩ | ১২ | ১০ | ৩৫ |
| ১৭ | দক্ষিণ বৰপথাৰ গাঁও | ঐ | ৬৫ | ৪৫০ | ৩২.৫ | ১০.৮৩ | ৫৫ | ২০ | ১০ | ৫৪.১৬ |
| ১৮ | চমুৱা খনিকৰ গাঁও | ঐ | ৩০ | ২৬০ | ৩০ | ১০ | ৬৬ | ১০ | ৫ | ২০ |
| ১৯ | জাপিসজীয়া গাঁও | ঐ | ৫০ | ২৭০ | ৪৩ | ১৫ | ৫০ | ৫ | ৪ | ২০ |
| ২০ | ২ নং কাঠপৰা গাঁও | ঐ | ৬০ | ৩৮০ | ৩৫ | ১৫ | ৬০ | ৫ | ২ | ২০ |
| ২১ | পীড়াকটা ভৰলুৱা গাঁও | যোৰহাট | ৮৫ | ৪৩৬ | ২৫ | ৮ | ৬৫ | ৪ | ৩ | ৪৭ |
| ২২ | ফেচুৱাল কাড়ী গাঁও | ঐ | ৮০ | ৫৩০ | ২০ | ১০ | ৭০ | ১০ | ৫ | ৩৭.৫ |
| ২৩ | ইকৰাণী লো-শলীয়া গাঁও | ঐ | ১৩০ | ৭৬০ | ২৫ | ১৫ | ৬৮ | ৮ | ৪ | ৩০.১২ |
| ২৪ | ফটিকছোৰা গাঁও | ঐ | ১৮০ | ১২৪০ | ২৫ | ১০ | ৭০ | ১৫ | ৬ | ৪০ |
| ২৫ | আমগুৰি খনিকৰ গাঁও | ঐ | ২০০ | ১৪৬০ | ২৫ | ৬ | ৬৮ | ১৬ | ৫ | ৩০ |
| ২৬ | উষাপুৰ খনিকৰ গাঁও | ঐ | ৬০ | ৩৩০ | ২৪ | ১০ | ৬৫ | ২০ | ১০ | ৪০ |
| ২৬ | নতুন চামনী গাঁও | ঐ | ৭০ | ৪৭০ | ১৫ | ৫ | ৬০ | ২০ | ৫ | ৫৭ |
| ২৭ | হিলৈধাৰী গাঁও(ৰহমৰীয়া) | ঐ | ১১০ | ৭২০ | ৩০ | ১৫ | ৬৫ | ২০ | ৩ | ৫০ |

# চুতীয়া ৰাজ্যৰ স্থাপত্য আৰু ভাস্কৰ্য্য

## উত্থানৰ পটভূমি

মানৱ সভ্যতাৰ ইতিহাসৰ উৎপত্তি আৰু বিকাশৰ ওপৰত চকু ফুৰালে দেখা যায় যে, কেতবোৰ সভ্যতা সুদূৰ অতীততে সৃষ্টি হৈ নজনা সময়তে লুপ্ত হৈ গৈছে আৰু আজি সেইবোৰ উদ্‌ঘাটন আৰু গৱেষণাৰ জৰিয়তে পোহৰলৈ অনা হৈছে। আন বহুতো সভ্যতা সংস্কৃতিৰ দৰে চুতীয়া ৰাজ্যখনো ঐতিহাসিক ভাৱে বাস্তৱ আছিল যদিও সময়ৰ সোঁতত বিলুপ্ত হৈ বৰ্তমান তাৰ অৱস্থিতি নোহোৱা হ'ল। অতীতৰ চুতীয়া ৰাজ্যখনৰ চকা মকাকৈ বৰ্ত্তি থকা সভ্যতা সংস্কৃতিৰ বিক্ষিপ্ত সাক্ষৰবোৰৰ পৰা সেই ৰাজ্যখনৰ বিষয়ে জানিবলৈ এতিয়াও যথেষ্ট সমল পোৱা যায়। এইবোৰৰ ভিতৰত পূৰ্বৰ চুতীয়াৰাজ্যখনৰ অ'ত ত'ত সিচৰিত হৈ থকা বিভিন্ন প্ৰত্নতাত্বিক নিদৰ্শন সমূহেই প্ৰধান।

চুতীয়া ৰাজ্যৰ উৎপত্তিৰ স্থল আৰু বিস্তৃতিৰ পৰিসীমা আজিকোপতি অস্পষ্ট, অনিৰ্দিষ্ট হৈ আছে। আহোম বুৰঞ্জীৰ ওপৰত ভেজা দি গেইটে কৈছে যে এই ৰাজ্য ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰ জুৰি পশ্চিমে সোৱণশিৰী আৰু দক্ষিণে দিচাং নৈ লৈকে বিয়পি আছিল যদিও দক্ষিণ-পূবৰ অংশ এটা কছাৰীৰ দখলত আছিল।[১] যিহেতু গেইটৰ বৰ্ণনাত ৰাজ্যখনৰ উত্তৰ আৰু পূবৰ সীমাৰ উল্লেখ নাই, এতেকে ঐতিহাসিক উদ্ধৃতি আৰু প্ৰত্নতাত্বিকসকলৰ ওপৰত নিৰ্ভৰ কৰি আমি ক'ব পাৰো যে এই সীমা অৰুণাচল পাহাৰ শ্ৰেণীৰ নামনি অংশকে ধৰি পূবে পৰশুৰামকুণ্ডলৈকে বিয়পি আছিল।[২] ভৌগোলিক দৃষ্টিকোণৰপৰা দেখা যায় যে চুতীয়া ৰাজ্য এক নদী-প্ৰধান অঞ্চলত অৱস্থিত আছিল। অসমৰ উত্তৰ আৰু পূবৰ সুউচ্চ দুৰ্গম পৰ্ব্বতবোৰৰপৰা এই নদীবোৰ ওলাই অহাৰ বাবে এইবোৰ খৰস্ৰোতা আৰু ই সততে মহাপ্লাৱনৰ সৃষ্টি কৰিছিল। আনহাতে উক্ত পৰ্ব্বতবোৰত হোৱা ভূমিস্খলনৰ বাবে এই নদীবোৰ প্ৰায় প্ৰতিবছৰে যথেষ্ট পলস কঢ়িয়াই আনিছিল যিয়ে এই অঞ্চলটোৰ জনবসতিক স্থানচ্যুত কৰি তেওঁলোকৰ সৃষ্টিবোৰ ঢাকি পেলাইছিল।

---

১ Sir Edward Gait, **A History of Assam**, Calcutta, 1967 (Abbr. Gait). p. 39

২ "চুতীয়াৰ কথা" নামৰ ঐতিহাসিক নথিত চুতীয়া ৰজা ৰত্নধ্বজে পৰ্ব্বত-হাবি ভাঙি কমতাপুৰলৈ পথ নিৰ্মাণ কৰাৰ কথা উল্লেখ আছে। আনহাতে এই দুই ৰজাৰ বন্ধুত্ব তথা আদান-প্ৰদানৰ ক্ষেত্ৰত "পৰশুকুঠাৰ" অৰ্থাৎ পৰশুৰাম-কুণ্ডৰ ওপৰত থকা ৰত্নধ্বজৰ কতৃত্বৰ কথা উনুকিওৱা হৈছে। **দেওধাই অসম বুৰঞ্জী**, সম্পাদনা - সূৰ্য্য কুমাৰ ভূঞা, গুৱাহাটী, ১৯৩২, গুৱাহাটী, পৃঃ ১৮০, ১৮১। (সংক্ষিপ্তকৰণ ঃ দেওধাই)


সেইবাবে চুতীয়া ৰাজ্যৰ ঐতিহাসিক সমলবোৰৰ বহু অংশই ভূ-গৰ্ভস্থ হৈ পৰি ৰৈছে বুলি কোৱাৰ স্থল আছে।

চুতীয়া ৰাজ্যৰ পোনপটীয়া প্ৰভাৱ সদিয়া অঞ্চলৰ কুণ্ডিল নদীৰ অৱবাহিকাত পৰা বুলি ধাৰণা কৰিব পাৰি। সেয়েহে এই ৰাজ্যখনৰ চাৰিসীমাৰ ভিতৰত সেই অঞ্চলটোতেই চুতীয়া ৰাজ্যখনৰ আটাইতকৈ বেছি স্বাক্ষৰ ৰৈ গৈছে। তথাপি, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সোৱণশিৰীৰপৰা পূবৰ মিচিমি পাহাৰৰ নামনি অঞ্চলবোৰলৈকে এই অঞ্চলটোত সেৰেঙা ভাৱে বহুতো সমল এতিয়াও বৰ্ত্তি থকা দেখা যায়।

## চুতীয়া স্থাপত্যৰ উৎপত্তি আৰু বিস্তৃতি

চুতীয়া স্থাপত্যৰ বিকাশৰ কোনো ধাৰাবাহিক নথি আমাৰ হাতত নাই। কিন্তু চুতীয়া ৰাজত্বৰ পাতনিৰ সময়ৰপৰা ক্ৰমে আগবাঢ়ি স্থাপত্য সৃষ্টিৰ স্তৰবোৰ বিশ্লেষণ কৰাৰ সুবিধা আছে। এই স্তৰবোৰ অৱশ্যে মাৰ্গীয় স্থাপত্যৰ বিকাশৰ দৰে সৰল পৰ্যায়ৰ পৰা উন্নতৰ অৱস্থালৈ নহৈ পৰিস্থিতি আৰু কাৰিকৰী সা-সুবিধাৰ ওপৰত নিৰ্ভৰ কৰিহে আগবাঢ়িছিল। সেইবাবে এই আলোচনাত এই স্থাপত্যৰ ক্ৰম বিকাশৰ কথা নানি, কিছু পৰিমাণে সময়ক্ৰম অনুসৰি প্ৰতিটোৰ একক আৰু সুকীয়া ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হৈছে।

**মালিনীথান ঃ** মালিনীথানৰ অৱস্থিতি সম্পৰ্কে আন এটা অধ্যায়ত উল্লেখ কৰা হৈছে। এই ভগ্নাৱশেষৰ মাজত ইয়াৰ পৃষ্ঠপোষক বা সময়সূচক কোনো প্ৰত্যক্ষ নথি ৰৈ যোৱা নাই। কিন্তু ভৌগোলিক অৱস্থান আৰু প্ৰাচীনত্বৰ মাপেৰে ইয়াক চুতীয়া ৰাজত্বৰ সময়ৰ সৃষ্টি বুলি ধৰিব পাৰি। বিশেষকৈ, ইয়াত বৰ্ত্তি থকা স্থাপত্যৰ অংশবোৰৰ লগতে ভাস্কৰ্য্যৰ শৈলীৰপৰা এই সৃষ্টি সেই সময়ৰ বুলি নিৰূপন কৰিব পাৰি।




মালিনী থান মন্দিৰ (বাস্তুপুৰুষ মণ্ডল)



১। এই মন্দিৰ উত্তৰা-দক্ষিণাকৈ নিৰ্মিত হৈছিল। ইয়াৰ দুৱাৰমুখ দক্ষিণৰ ফালে আছিল আৰু এই বিচাৰেৰে উত্তৰ মূৰৰ গৰ্ভগৃহত থকা বিগ্ৰহৰ পূজাৰী তথা ভক্তই উত্তৰলৈ পূজা-অৰ্চ্ছনা কৰিব লাগিছিল।

২। বিমান অৰ্থাৎ গৰ্ভগৃহ, অন্তৰাল, মণ্ডপ আৰু মুখ-মণ্ডপ থকা এই মন্দিৰৰ বাস্তুপুৰুষ-মণ্ডলত নাগৰ বা উত্তৰ ভাৰতীয় মন্দিৰৰ এটা পূৰ্ণ বিকশিত পৰ্যায় প্ৰকাশ পাইছে।

৩। ইয়াৰ বিমানৰ ভেটি সপ্তৰথ তথা সাত-কোণযুক্ত কৰ্দৈশিৰীয়া আৰু মণ্ডপ ত্ৰিৰথ আৰ্হিৰ আছিল।

৪। এই মন্দিৰৰ বিমান, মণ্ডপ আৰু মুখমণ্ডপ একোটা ভেঁটিৰ গাঁথনি নকৰি পৃথক পৃথককৈ কৰা হৈছে।

৫। মন্দিৰৰ 'পা-ভাগ' অৰ্থাৎ ভেঁটিৰ গাত পথালিয়ে সমান্তৰালভাৱে কেতবোৰ পটিৰ সৃষ্টি কৰা হৈছে। ইয়াৰে এটা পটিৰ গাত এশাৰী পূৰ্ণ-বিকশিত পদুম ফুলেৰে অলঙ্কৃত কৰা হৈছে, যি শাৰীটো মন্দিৰৰ চৌপাশে বিয়পি আছে।

৬। খননত ওলোৱা ভাস্কৰ্য্য আৰু নক্সাযুক্ত শিলাখণ্ডবোৰৰ গাত আদি-মধ্যযুগীয়া সৃষ্টিৰ এক শেহতীয়া পৰ্যায় প্ৰতিফলিত হৈছে।

তলত দিয়া কাৰণসমূহৰ ভিত্তিত এই মন্দিৰ চুতীয়াসকলৰ অৱদান আছিল বুলি অনুমান কৰিব পাৰি -

১। ভাৰতীয় মন্দিৰৰ বিকাশৰ ক্ষেত্ৰত বিমানৰপৰা মুখমণ্ডপলৈ থকা বাস্তুপুৰুষ মণ্ডলৰ (Ground-plan) নক্সাক পূৰ্ণবিকশিত ৰূপ বুলি ধৰা হয়। এনে মন্দিৰ সাধাৰণতে খ্ৰীষ্টিয় দশম শতিকাৰ পৰৱৰ্তী সময়ত দেখা যায়। মালিনীথানৰ মন্দিৰৰ 'প্লেন'ত দ্বাদশ শতিকা বা তাৰ পিছৰ নক্সাহে প্ৰতিফলিত হৈছে। এতেকে, কামৰূপী পালসকলৰ পতনৰ পিছত দ্বাদশ শতিকাৰ শেষলৈ উত্থিত হোৱা চুতীয়া ৰাজশক্তিৰ দ্বাৰাহে এনে এক স্থাপত্যৰ বাবে পৃষ্ঠপোষকতা আগবঢ়োৱাটো সম্ভৱ।

২। এই মন্দিৰ সপ্তৰথ আৰ্হিৰ আছিল। ভাৰতীয় মন্দিৰৰ বিকাশত আন এটা বিশেষত্ব হ'ল ই প্ৰথমে বৰ্গ বা আয়তাকাৰ নক্সাৰপৰা ক্ৰমে ত্ৰিৰথ, পঞ্চৰথ, সপ্তৰথ আদি নক্সালৈ সময় আগবঢ়াৰ লগে লগে পৰিবৰ্তন হৈ আহিছিল। সাধাৰণতে দ্বাদশ শতিকালৈকে পঞ্চৰথ বা পাঁচটা ভাজ থকা 'প্লেন'ৰ জনপ্ৰিয়তাহে বেছি দেখা গৈছিল। মালিনীথানৰ সপ্তৰথ বিমানৰ কল্পনাই ইয়াক ১২-১৩ শতিকাত নিৰ্মাণ কৰা হৈছিল বুলি ইঙ্গিত দিয়ে। সেয়ে সময়ৰ দিশৰ পৰা এই মন্দিৰৰ নিৰ্মাণ চুতীয়াসকলৰ ৰাজত্ব কালত হোৱা বুলি ক'ব পাৰি।

৩। মালিনীথানৰ মন্দিৰটোৰ পৰিকল্পনাৰ এটা মন কৰিবলগীয়া দিশ হ'ল ইয়াৰ বিমান, মণ্ডপ আৰু মুখমণ্ডপ তিনিটা আছুতীয়া স্থাপত্য হিচাপে পৰস্পৰৰ মাজত সামান্য ব্যৱধান ৰাখি গঢ় দিয়া হৈছে। এনে গাঁথনি উৰিষ্যাৰ মন্দিৰবোৰত দেখা যায়। কিন্তু ভাৰতৰ আন

ঠাইত আৰু অসমৰ শালস্তম্ভ আৰু পালৰ ৰাজত্বৰ সময়ত (খ্ৰীঃ ১০ম-১২শ শতিকাত) নিৰ্মাণ কৰা মন্দিৰবোৰত এই নক্সা চকুত নপৰে। যিহেতু চুতীয়া ৰাজশক্তিৰ উত্থানৰ সময়ত কামৰূপী পালসকলৰ ৰাজত্বৰ অন্ত পৰিছিল, কিন্তু উৰিষ্যাত এনে মন্দিৰ নিৰ্মাণ একে উদ্যম আৰু গতিৰে কমপক্ষেও ত্ৰয়োদশ শতিকাৰ শেষলৈকে চলি আছিল; এতেকে এই মন্দিৰ উৰিষ্যাৰ খনিকৰ আনি কোনো চুতীয়া ৰজাই নিৰ্মাণ কৰোৱাটো সম্ভৱ।[৩]

৪। মালিনীথানৰ ভাস্কৰ্য্যবোৰৰ মাজত শিলত কটা একোশাৰী একে জোখ আৰু ভঙ্গিমাৰ আৰক্ষ নক্সাৰ বিতোপন অপ্সৰাৰ মূৰ্তি দেখা যায়। আনহাতে এই একে শৈলীৰ মূৰ্ত্তি দ্বাদশ শতিকাত নিৰ্মিত গোলাঘাটৰ দেওপৰ্ব্বতৰ অৱশেষৰ মাজতো দেখা যায়। হয়তো এনে হ'ব পাৰে যে পাল ৰাজত্বৰ পতনৰ পিছত উপযুক্ত পৃষ্ঠপোষকতাৰ অভাৱত পুৰুষানুক্ৰমে স্থপতিৰ বৃত্তি কৰি অহা এনে ভাস্কৰে নতুনকৈ শক্তিশালী হৈ উঠা চুতীয়া ৰজাসকলৰ দ্বাৰা আকৰ্ষিত হৈ স্থাপত্যও নিৰ্মাণ কৰিছিলগৈ।

৫। মালিনীথানৰ এটা চকুতপৰা দিশ হ'ল ইয়াত আটাইতকৈ সুন্দৰ মূৰ্ত্তিটো কাটিবৰ বাবেও অতি নিম্নখাপৰ শিল ব্যৱহাৰ কৰা হৈছে। ভাৰতীয় পৰম্পৰাত দেখা যায় যে ভাস্কৰ্য্যৰ বাবে স্থানীয়ভাৱে নাপালেও উপযুক্ত শিল দূৰৈৰপৰা হ'লেও অনা হৈছিল, আৰু অসমৰ আদি-মধ্যযুগীয়া স্থাপত্য, ভাস্কৰ্য্য থকা সকলো স্থানতে এই নীতি অনুকৰণ কৰা হৈছে। কিন্তু মালিনীথানত ঘাইকৈ ইমান থুনুকা শিল কিয় ব্যৱহাৰ হ'ল, তাৰ এটা কাৰণ এনে হ'ব পাৰে যে নতুনকৈ গঢ় লোৱা চুতীয়া ৰাজ্যৰ ৰজাসকলে এনে এটা সুবৃহৎ সৌধ নিৰ্মাণৰ বাবে প্ৰয়োজন অনুসৰি সামগ্ৰী ক্ৰয় কৰিবলৈ যোগাৰ কৰিব পৰা নাছিল। ফলত খনিকৰ পোৱা স্বত্বেও স্থানীয়ভাৱে পোৱা নিকৃষ্ট শিলেৰেই এইটো নিৰ্মাণ কৰিবলগীয়া হ'ল। ওপৰত উল্লেখ কৰা যুক্তিবোৰত সন্দেহৰ অৱকাশ থাকিলেও এটা কথা স্পষ্ট যে দ্বাদশ-ত্ৰয়োদশ শতিকাত সোৱণশিৰী, কুণ্ডিলৰ অৱবাহিকাত মালিনীথান মন্দিৰৰ দৰে এটা স্থাপত্যৰ পৃষ্ঠপোষকতা আগবঢ়াবলৈ চুতীয়া ৰাজশক্তিৰ সমকক্ষ কোনো সমসাময়িক ৰজা নাছিল আৰু এই বৃহৎ স্থাপত্যৰ নিৰ্মাতা কোনো চুতীয়া ৰজা বুলি নধৰিলে এই সৃষ্টিৰ ইতিহাস ব্যাখ্যা কৰিব নোৱাৰি। এইখিনিতে উল্লেখনীয় যে এই মন্দিৰৰ উত্তৰা-দক্ষিণা অৱস্থান আৰু ইয়াৰ মাজত থকা নন্দীৰ বুজন আকাৰৰ মূৰ্ত্তিটোৱে ই এটা শিৱ মন্দিৰ আছিল বুলি প্ৰমাণ কৰে।[৪]


৩ দেওধাই অসম বুৰঞ্জীত চুতীয়াসকলৰ প্ৰথম ৰজা ৰত্নধ্বজ পালৰ লগত কমতাৰাজ্যৰ ৰজাৰ বন্ধুতত্বৰ কথা প্ৰকাশ পাইছে (পৃঃ ১৮১)। এতেকে এই যোগসূত্ৰৰ মাজেৰে উৰিষ্যাৰ পৰা খনিকৰ অনাই মালিনীথান মন্দিৰ নিৰ্মাণ কৰোৱাটো সম্ভৱ।

৪ মধ্যযুগৰ কালছোৱাত দক্ষিণ মূৱা মন্দিৰ শিৱ বা দেৱীৰ বাবে সজা হৈছিল। তদুপৰি মন্দিৰৰ সন্মুখত এটা আচুতীয়া মণ্ডপ সাজি মূল বিগ্ৰহৰ বাহন স্থাপন কৰা ঠায়ে ঠায়ে দেখা গৈছে। মালিনীথানৰ দক্ষিণমূৱা মন্দিৰ আৰু ইয়াত থকা ডাঙৰ নন্দীটোৰ অৱস্থিতিত মন্দিৰটো শিৱৰ বুলি ভবাৰ যুক্তি আছে। হয়তো মন্দিৰৰ মুখ-মণ্ডপৰ বাঁৱে থকা ইটাৰ সৰু ভেটিটো এই নন্দীৰ বাবেই তৈয়াৰ কৰা হৈছিল।



**তাম্ৰেশ্বৰী মন্দিৰ** ঃ সদিয়াৰ ওচৰত থকা ইতিহাস প্ৰসিদ্ধ তাম্ৰেশ্বৰী মন্দিৰ বৰ্তমানে বানপানীৰ পলসত নিচিহ্ন হৈছে। চুতীয়াসকলৰ অৱদান বুলি স্বীকৃত এই মন্দিৰৰ বিষয়ে ইতিমধ্যে ভালেখিনি চিন্তা-চৰ্চ্চা হৈছে।

তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰত্নতাত্ত্বিক জৰীপৰ প্ৰথম প্ৰচেষ্টা কৰে ব্ৰিটিছ বিষয়া মেজৰ হান্নেয়ে। তেওঁ প্ৰস্তুত কৰা বিৱৰণ অনুসৰি এই মন্দিৰটো গ্ৰেনাইট শিলেৰে বন্ধোৱা হৈছিল আৰু ইয়াৰ দুৱাৰৰ চৌকাঠ আকৰ্ষণীয় আছিল। ইংৰাজ জনে এই মন্দিৰৰ দুৱাৰ মুখত ৰূপৰ দাঁতেৰে এটা শিলৰ হাতীৰ মূৰ্ত্তি দেখা পাইছিল।[৫] হান্নেৰ অলপ সময়ৰ ব্যৱধানত, ১৮৫৫ চনত এই মন্দিৰৰ স্থান আন এজন ইংৰাজ বিষয়া লেফ্‌টেনেণ্ট ডেল্টনে জৰীপ কৰিছিল। এওঁ মন্দিৰটোৰ শিলেৰে নিৰ্মিত থিয় বেৰবোৰ অক্ষত অৱস্থাত দেখা পাইছিল যদিও ওপৰত থকা তামৰ চালখন দেখা নাছিল। এই স্থাপত্যৰ গাঁঠনিৰ ওপৰত ৰেখাপাত কৰি তেওঁ লেখিছিল যে ডোখৰ ডোখৰ শিলেৰে লোহাৰ গজাল ব্যৱহাৰ কৰি গঢ় দিয়া এই মন্দিৰৰ বেৰবোৰ ৪ ফুট ৬ ইঞ্চি (১৩৫ ছেঃমিঃ) ডাঠ আছিল আৰু গৰ্ভগৃহৰ মজিয়াৰ জোখ ৮ ফুট বৰ্গৰ (২৪০ ছেঃমিঃ) আছিল। ডেল্টনে মন্দিৰটোৰ চৌপাশত




তাম্ৰেশ্বৰী মন্দিৰৰ ভূমিমণ্ডলৰ নক্সা
(কেপ্তেইন ডেল্টনৰ বিৱৰণৰ আধাৰত)

২০০ ফুট দীঘল আৰু ১৩০ ফুট বহল (অৰ্থাৎ ৬০ মিঃ দীঘল আৰু ৩৯ মিটাৰ বহল) এটা ইটাৰ গড় দেখা পাইছিল।[৬] এই অলপীয়া বিৱৰণৰপৰা তলৰ কথাকেইটা প্ৰকট হয়-

১। বৰ্গক্ষেত্ৰাকাৰ তাম্ৰশ্বৰী মন্দিৰৰ ভিতৰৰ জোখ ৮ ফুট x ৮ ফুট আৰু বাহিৰৰ পৰিধি ১৭ ফুট x ১৭ ফুট আছিল।

২। এই মন্দিৰৰ গাঁথনিত কোনো কৰাল ব্যৱহাৰ নকৰি শিলাখণ্ডবোৰ লোহাৰ গজালেৰে বন্ধা হৈছিল।

৫ **পবিত্ৰ অসম**, সম্পাদক - মহেশ্বৰ নেওগ, গুৱাহাটী, ১৯৬৭, অসম সাহিত্য সভা, পৃঃ ২০ (সংক্ষেপে - **পবিত্ৰ অসম**)

৬ **পবিত্ৰ অসম**, পৃঃ ২০, ২১

৩। মন্দিৰটো এটা তেনেই সৰল স্থাপত্য আছিল যদিও ইয়াৰ দুৱাৰৰ চৌকাঠত কিছু অলংকৰণ কৰা হৈছিল।

৪। মন্দিৰৰ চৌপাশে গড় আছিল।

প্ৰাচ্যবিদ ড° থিয়োদৰ ব্লকে কুণ্ডিলনগৰৰ ওৰ ল'বলৈ ১৯০৫ চনত এই ডাঠ হাবিৰে আগুৰা অঞ্চলটোত অভিযান চলাওঁতে মন্দিৰটোৰ ভালেখিনি নতুন তথ্য সংগ্ৰহ কৰাত কৃতকাৰ্য হৈছিল। তেওঁ লেখি থৈ গৈছে যে কুণ্ডিলনগৰ ভীষ্মক নগৰৰ পৰা বেছি দূৰৈত নাছিল আৰু ই উক্ত ৰাজধানী-নগৰখনৰেই অন্যতম উপনগৰ হিচাবে নিৰ্মিত হৈছিল।[৭] তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰসঙ্গত তেওঁ অনুমান কৰিছিল যে এই থানখন নগৰখনৰ এটা নিস্প্ৰভ কোণত অৱস্থান কৰা কথাই ইয়াৰ জনপ্ৰিয়তা সীমিত হোৱাটো সূচায় আৰু ই এটা পৰিয়ালৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে গঢ়া সৰু দেৱালয় হ'ব পাৰে।[৮] পণ্ডিতজনৰ বিবৰণ এই মন্দিৰৰ অধ্যয়নৰ বাবে গুৰুত্বপূৰ্ণ যদিও তেওঁৰ কিছুমান অনুমান সত্য বুলি মানি ল'ব নোৱাৰি। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এই নদীঘাট অঞ্চলটোত প্ৰাকৃতিক দুৰ্যোগৰ প্ৰাদুৰ্ভাৱ বেছি হোৱা বাবে জনসংখ্যা পাতল হোৱাটো স্বাভাৱিক। আনহাতে এনে ঠাইত পাতল-অস্থায়ী সামগ্ৰীৰ ব্যৱহাৰেৰে বৃহৎ সৌধ নিৰ্মাণ কৰিলেও শিল-ইটাৰ স্থাপত্য নিৰ্মাণ কৰাটো বৰ উজু কথা নাছিল। ইয়াত এনে সামগ্ৰীৰো নিশ্চয় যথেষ্ট অভাৱ আছিল। এনে এটা পৰিস্থিতিত সৰুকৈ গঢ়া মন্দিৰ এটায়ো ইয়াৰ স্থায়ী স্থিতিৰ মাজেৰে যথেষ্ট জনপ্ৰিয় হৈ থাকিব পাৰে। তাতে লোৰ গজাল আৰু কাৰু-কাৰ্য খচিত দুৱাৰমুখেৰে নিৰ্মাণ কৰা ইয়াৰ নিৰ্মাতা নিশ্চয় শক্তিশালী আছিল যিয়ে এই দেৱালয়, এই অঞ্চলৰ এক শ্ৰেষ্ঠ তীৰ্থস্থান হিচাবে সকলোবোৰ শতিকাৰ মাজেৰে মাহাত্যপূৰ্ণ হৈ থকাত ইন্ধন যোগাইছিল।

ড° ব্লকৰ তাম্ৰেশ্বৰী মন্দিৰ ভ্ৰমণৰ টোকা ভাৰতীয় পুৰাতাত্ত্বিক জৰীপ বিভাগৰ ১৯০৬-০৭ চনৰ বছেৰেকীয়া প্ৰতিবেদন প্ৰকাশ পাইছে। এই টোকাৰ লগত ভগ্নপ্ৰাপ্ত আৰু হাবিৰে আগুৰা মন্দিৰটোৰ এখন আলোকচিত্ৰও সন্নিবিষ্ট হৈছে। এই ফটোখনত মন্দিৰৰ গাঁথনিৰ শিলবোৰৰ উপৰিও মন্দিৰটোৰ দুৱাৰমুখৰ দুৱাৰগৰিলা আৰু এডাল থিয় চৌকাঠ স্পষ্টভাবে ওলাই আছে। চৌকাঠ ডালৰ তলৰ অংশত মূৰ্ত্তিৰ বাবে দেৱকোষ্ট আৰু ওপৰ অংশত থিয় ভাবে তিনিটা অলঙ্কাৰবিহীন উপশাখা আছে। এই চৌকাঠৰ সামগ্ৰীক ৰূপত অসমত ১১শ-১২শ শতিকাত নিৰ্মিত দুৱাৰৰ জঁকাৰ পৰিকল্পনা স্পষ্ট। অৱশ্যে ইয়াৰ ওপৰৰ অংশৰ জ্যামিতি তেনেই সৰল হোৱা কথাই ই উক্ত সময়ৰ শেষত অথবা ত্ৰয়োদশ শতিকাত নিৰ্মিত হোৱাটো সূচায়। চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীত তাম্ৰেশ্বৰী

---

[৭] **A Source Book of the Archaeology of Assam**, Kamarupa Anusandhan Samity, Guwahati, 1984, p.7 (Abbr. **SBAA**)

[৮] **SBAA**, p.9.



মন্দিৰৰ জোখ লিপিবদ্ধ হৈছে।[৯] এই জোখবোৰ হাতৰ হিচাবত দিয়া হৈছে যদিও ই ডেল্টনৰ হিচাবৰ লগত প্ৰায় মিলি থকা দেখা যায়। অৱশ্যে ঐতিহাসিক অভিযন্তা চাংৰুঙ্গ ফুকনৰ নথি বেছি বিতং হৈছে। এই বৰ্ণনাত মন্দিৰটোৰ গহবৰ ২ হাত অৰ্থাৎ ৩ ফুট (৯০ ছেঃমিঃ) দ আৰু দ'লৰ উচ্চতা চুলা অৰ্থাৎ কলচীৰে সৈতে ১২ হাত অৰ্থাৎ ১৮ ফুট (৫৪০ ছেঃমিঃ) বুলি দিয়া হৈছে। এই জোখবোৰে মন্দিৰটোৰ এখন নক্সা প্ৰস্তুত কৰাত যথেষ্ট সহায় কৰিব পাৰে। সম্ভৱতঃ চাংৰুঙ্গ ফুকনৰ আটাইতকৈ উল্লেখযোগ্য তথ্য হ'ল এই মন্দিৰৰ শিখৰৰ ওপৰত ৰেখাপাত। তেওঁ স্পষ্টকৈ লেখিছে যে এই মন্দিৰৰ চাল অংশত তামৰ চটা ব্যৱহাৰ হৈছিল। যিহেতু অভিযন্তাজনৰ বুৰঞ্জীৰ এই তৃতীয়খণ্ডত আহোম স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ (১৮১১-১৮১৮ চন) কথাও উল্লেখ আছে, এতেকে এই সিদ্ধান্তত উপনিত হ'ব পাৰি যে তামৰ চালখন সেই সময়লৈকে বৰ্ত্তি আছিল। হয়তো মানৰ বিভীষিকাত ঠাইখিনি এৰাবাৰীত পৰিণত হোৱাত গছ-গছনি গজি উঠাত বেৰবোৰৰ গাঁথনি সোলোক-ধোলোক হৈ পৰিল, যাৰ বাবে এই আক্ৰমণৰ একুৰি বছৰ পিছত এই ঠাই ভ্ৰমণ কৰা হান্নে আৰু ডেল্টনে মন্দিৰটো গভীৰ হাবিৰ মাজত জাহগৈ থকা দেখা পাইছিল। প্ৰত্নতত্ত্ববিদ শ্ৰীমতী দেৱলা মিত্ৰই ১৯৫৬ চনত এই স্থান ভ্ৰমণ কৰোঁতে ইয়াত দেৰগাঁৱৰ নেঘেৰিটিং দ'লৰ দৰে পঞ্চ দেৱতাৰ এটা পঞ্চায়তন মন্দিৰ থাকিব পাৰে বুলি মত প্ৰকাশ কৰিছিল।[১০] কিন্তু পণ্ডিত গৰাকীৰ টোকা আমাৰ হাতত নথকাৰ বাবে এই ক্ষেত্ৰত বিতংভাৱে আলোচনা কৰিবপৰা নগ'ল। অৱশ্যে তেওঁ দিয়া মন্দিৰৰ চৌপাশৰ গড়ৰ জোখ এশ বছৰ আগতে দিয়া কেপ্তেইন ডেল্টনৰ জোখৰ লগত সামান্য তাৰতম্য দেখা গৈছে। শ্ৰীমতী মিত্ৰই এই দেৱাল অক্ষত অৱস্থাত ৮ ফুট (২৪০ ছেঃমিঃ) ওখ আৰু ৪ ফুট (১২০ ছেঃমিঃ) ডাঠ আছিল বুলি কৰা উল্লেখে এই কাম কিমান বৃহৎ আঁচনিৰ মাজেৰে কৰা হৈছিল, সেই কথা সূচাইছে। এই প্ৰত্নতত্ত্ববিদ গৰাকীৰ বিবৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথ্য হ'ল এই গড়ৰ দেৱালয়ৰ গাত থকা এখন শিলালিপিৰ কথা, যিখনত ইয়াৰ নিৰ্মাতাৰ নাম সময়ৰ সৈতে উল্লেখ হৈছে। প্ৰখ্যাত লিপিবিদ ড° দীনেশ চন্দ্ৰ চৰকাৰে এই লিপিত মুক্তাধৰ্মনাৰায়ণ নামৰ এজন ৰজাই ১৩৬৪ শক অৰ্থাৎ ১৪৪২ চনত এই গড় নিৰ্মাণ কৰিছিল বুলি প্ৰকাশ কৰিছে।[১১] এই নামটো **দেওধাই অসম বুৰঞ্জী**ৰ চুতীয়া ৰজাসকলৰ তালিকাত নাই যদিও লিপিৰ সময় আৰু নিৰ্মাতাজনৰ "নাৰায়ণ" উপাধিয়ে এওঁক চুতীয়া ৰাজবংশৰে কোনো শাসক আছিল বুলি প্ৰমাণ কৰে। অৱশ্যে এই সময়ত চুতীয়া ৰাজসিংহাসনত থকা প্ৰমত্ত নাৰায়ণ বা গৰুড়ধ্বজপাল (শক

---

[৯] **চাংৰুঙ্গ ফুকনৰ বুৰঞ্জী**, সম্পাদনা - ভুবনচন্দ্ৰ সন্দিকৈ, জয়সাগৰ, ১৯৬১, পৃঃ ২৮ (সংক্ষেপে - **চাংৰুঙ্গ**)

[১০] **Archaeology in Arunachal Pradesh**, Raikar and Chatterjee, Govt. of Arunachal Pradesh, Shillong, 1980, p.19. (Abbr. **AAP**)

[১১] **AAP**, p.51

গৈছিল।[৮০]

পদ্মেশ্বৰ গগৈৰ মতে, সপ্তম শতাব্দীত বৌদ্ধ তান্ত্ৰিক মহাচাৰ্য নাগাৰ্জুনে দেৱী একজটাক তিব্বতৰপৰা ভাৰতলৈ আনে আৰু তাক তেওঁ বৌদ্ধ দেৱতাসকলৰ মাজত সোমোৱাই লয়। তেওঁৰ মতে, তাৰা তিব্বতৰপৰা অহা আদিম বনধৰ্মৰ এগৰাকী প্ৰধান উপাস্য দেৱীও হ'ব পাৰে। তাৰাৰ সাতোটা ভিন্ন ৰূপ আছিল। এইকেইটা হ'ল- উগ্ৰা, মহগ্ৰা, বজ্ৰা, কালী, সৰস্বতী, কামেশ্বৰী আৰু ভদ্ৰাকালী।[৮১] কামাখ্যাকে কামেশ্বৰী বোলা হৈছে। ইয়াৰপৰা অনুমান হয় যে ভাৰতত তান্ত্ৰিক ধৰ্ম মঙ্গোলীয়সকলৰ অৱদান। চুতীয়াসকলে তেওঁলোকৰ আইনামত পূৰ্বে উল্লেখিত সাতোগৰাকী গোসাঁনীৰ নাম লয়।[৮২]

তান্ত্ৰিক বিদ্যা চুতীয়া ৰাজ্যত প্ৰচলিত আছিল। তামৰ ফলিত বীজমন্ত্ৰ লিখি বৌদ্ধতান্ত্ৰিক মত অনুসৰণ কৰি সাধনা কৰা হৈছিল। এই সাধনাত সিদ্ধিলাভ কৰিব পাৰিলে সাধক, অণিমা, লঘিমা, প্ৰাপ্তি, প্ৰকাস্য আদি অষ্ট-বিভূতিৰ অধিকাৰী হয়* আৰু অলৌকিক কাৰ্য সম্পাদন কৰিব পাৰে। শ্ৰী শ্ৰী অনিৰুদ্ধদেৱৰ লগত জড়িত **ধাতু তাম্ৰক্ষৰী** নামৰ পুথিখন তামৰ ফলিত লিখা বীজমন্ত্ৰসহ শক্তি মন্ত্ৰৰ পুথি আছিল। এই তথ্যৰ পৰা পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে উল্লেখ কৰিছে যে, অসমত মধ্যযুগত উত্থান হোৱা বহুতো ভূঞা হয়তো চুতীয়া আছিল।[৮৩]

**আৰ্য/নৰ্ডিক/ককছেয়দ ঃ** সকলো মানৱ গোষ্ঠীৰ ভিতৰত আৰ্যসকলেই আটাইতকৈ শেষত ভাৰতবৰ্ষলৈ আহে। **আৰ্য** শব্দটোৱে প্ৰকৃততে ইন্দো-ইউৰোপীয়ান ভাষা-গোষ্ঠীকহে বুজায়। মানৱগোষ্ঠীৰ বিভাজনৰ ফালৰপৰা আৰ্যসকল ককেছয়দ বা নৰ্ডিক, কিন্তু **আৰ্য** শব্দটোৱে এটা নৃগোষ্ঠীক বুজাই ইমান বহুলভাবে প্ৰচলিত হৈ পৰিছে যে ই বৰ্তমান ভাষা আৰু গোষ্ঠী দুয়োটাৰে পৰিচায়ক। ভাৰতবৰ্ষলৈ আৰ্যসকল আহে সম্ভৱতঃ ১৫০০ খ্ৰীঃপূঃৰ আগতে। তেওঁলোকৰ আদি বাসস্থান সম্পৰ্কে পণ্ডিতসকল একমত নহয়। মধ্য এচিয়া, উত্তৰ মেৰু, ৰাছিয়াৰ দক্ষিণৰপৰা কাস্পিয়ান সাগৰলৈকে বিস্তৃত অঞ্চল, অষ্ট্ৰিয়া-হাঙ্গেৰী, জাৰ্মানী আদি দেশক আৰ্যসকলৰ আদি বাসস্থান বুলি ভিন্ ভিন্ পণ্ডিতে মত প্ৰকাশ কৰিছে। গতিকে এই ক্ষেত্ৰত এটা চূড়ান্ত সিদ্ধান্তত উপনীত হোৱাটো সহজ নহয়। কিন্তু এইটো নিশ্চিত যে আজি পৃথিৱী ব্যাপি থকা সকলো আৰ্যৰে পূৰ্বপুৰুষসকল আদিতে একেখন ঠাইতে একেলগে বাস কৰিছিল। তেওঁলোক যে মূলতে

[৮১] পদ্মেশ্বৰ গগৈ, **অসমত প্ৰচলিত পৌৰাণিক আখ্যানসমূহৰ মূল বিচাৰ**, গুৱাহাটী, ১৯৭১, পৃঃ ৬৮, ৬৫।

[৮২] কোষেশ্বৰ বৰুৱা, **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, গুৱাহাটী, ২০০০, পৃঃ ৩৭।

* অষ্ট বিভূতি হ'ল শিৱৰ আঠোটা শক্তি - ১। অনিমা (অতি সূক্ষ্ম হোৱা), ২। লঘিমা (বায়ুতকৈও লঘু হোৱা), ৩। প্ৰাপ্তি (হাত মেলি সকলোকে চুকি পোৱা), ৪। প্ৰাকাস্য (ইচ্ছা বিকল নোহোৱা), ৫। মহিমা (বৰ বৃহৎ হ'ব পৰা), ৬। ঈশিতা (সজীৱ নিৰ্জীৱ সকলোকে সৃষ্টি কৰা), ৭। বশিতা (সকলোকে বশে ৰখা), ৮। কামাব শয়িতা (ইচ্ছাক দমন কৰা)

[৮৩] বিশ্বনাৰায়ণ শাস্ত্ৰী, 'চুতীয়া জাতি আৰু শক্তি উপাসনা', **স্মৃতিগ্ৰন্থ**, সতীসাধনী দিৱস উদ্‌যাপন সমিতি, গুৱাহাটী ১৯৯০,পৃঃ ১২।



একেটা গোষ্ঠীৰেই মানুহ তাক ভাষাতত্ত্ববিদসকলে সংস্কৃত, গ্ৰীক, লেটিন আদি বিভিন্ন আৰ্য ভাষাৰ কিছুমান শব্দৰ মূল আৰু ব্যাকৰণ পদ্ধতিৰপৰা প্ৰমাণ কৰিছে।


থলুৱা লোকক পৰাভূত কৰি আৰ্যসকলে প্ৰথমে সপ্তসিন্ধু অঞ্চলত বসতি স্থাপন কৰিছিল। সিন্ধুনদীৰ সাতখন উপনদী-বিতস্তা, চন্দ্ৰভাগা, ইৰাৱতী, শতদ্ৰু, বিপাশা, সৰস্বতী আৰু দৃষদ্বতীৰ অন্তৰ্গত ভূ-ভাগকেই সপ্তসিন্ধু বোলা হৈছিল। গতিকে তেতিয়াৰ সপ্তসিন্ধু বুলিলে বৰ্তমান আফগানিস্থানৰ কিছু অংশ, পাকিস্তান আৰু পাঞ্জাৱ অঞ্চল বুজাইছিল। সপ্তসিন্ধুৰপৰা আৰ্যসকলে লাহে লাহে পূবফালে বসতি বিস্তাৰ কৰিবলৈ ধৰিলে। ঋক্‌বেদত সিন্ধু নদীৰ বাহিৰেও কুভা (কাবুল), গোমতি (গুমল), ক্ৰমু (কৰম), সুবাস্তু (সোৱাট), অস্কিনি (চেনাব), যমুনা, গঙ্গা, সৰযু আদি নদীৰ নাম উল্লেখ আছে। ইয়াৰ পৰা অনুমান হয় যে এই কালছোৱাত আফগানিস্থানৰ পূব অংশৰপৰা গঙ্গাৰ উজনি অংশলৈকে আৰ্যসকলৰ অধিপত্য আছিল। **ব্ৰাহ্মণ** সাহিত্যসমূহ ৰচনাৰ যুগতহে (১৫০০-৮০০ খ্ৰীঃ পূঃ) সৰস্বতী নদীৰপৰা গঙ্গাৰ দোৱাব পৰ্যন্ত আৰু তাৰ পিছত বঙ্গদেশ, অসম, দক্ষিণাত্য আদি অঞ্চলত আৰ্যসকলৰ বসতি আৰম্ভ হয়। **শতপথ ব্ৰাহ্মণ**ত সদানীৰা (কৰতোৱা) নদীৰ পূবলৈ আৰ্যসভ্যতাৰ বিস্তাৰৰবিৱৰণ আছে। মহাকাব্যৰ যুগত পুৰণি অসম অৰ্থাৎ প্ৰাগ্‌জ্যোতিষ ৰাজ্যও যে আৰ্যসংস্কৃতিৰ প্ৰভাৱলৈ আহিছিল, ইয়াৰ প্ৰমাণ এই দুয়োখন মহাকাব্যত আছে। বিভিন্ন সময়ত ভাৰতবৰ্ষলৈ আৰ্যগোষ্ঠীৰ বিভিন্ন দল আহিছিল আৰু ঋক্‌বেদৰ যুগৰ আৰ্যসকলেই আছিল প্ৰথমটো দল। থলুৱা অধিবাসীসকলৰ লগত তেওঁলোক সংগ্ৰামত লিপ্ত হ'বলগীয়া হৈছিল। স্থানীয় অনাৰ্যসকলৰ লগত হোৱা সংগ্ৰামৰ উপৰি নিজৰে বিভিন্ন দলৰ মাজত সংঘৰ্ষ হৈছিল। এনে সংঘৰ্ষৰ ভিতৰত দহ ৰজাৰ ৰণেই উল্লেখযোগ্য।

আৰ্যসকল আছিল এটা যাযাবৰ জাতি আৰু পশু পালনেই আছিল তেওঁলোকৰ প্ৰধান জীৱিকা। পশুৰ ভিতৰত গৰুৰেই আছিল প্ৰধান। গৰুক তেওঁলোকে পবিত্ৰ জ্ঞান কৰিছিল। ঘোঁৰাৰ ব্যৱহাৰো তেওঁলোকে জানিছিল। পিছত যেতিয়া তেওঁলোকে স্থায়ীভাৱে বসতি কৰিবলৈ লয় আৰু লোহাৰ ব্যৱহাৰ শিকিলে, তেতিয়া তেওঁলোকে খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰিবলৈ আৰম্ভ কৰিছিল। ৮০০ খ্ৰীঃপূঃলৈকে তেওঁলোকে লোৰ ব্যৱহাৰ জনা নাছিল। পাথৰ, ব্ৰঞ্জ আৰু তামৰ কুঠাৰেৰে তেওঁলোকে হাবি-জংঘল চফা কৰি খেতিৰ মাটি মুকলি কৰিছিল। লোৰ সা-সঁজুলি ব্যৱহাৰ কৰাৰ ফলত আৰ্যসংস্কৃতিৰো ক্ষিপ্ৰগতিত প্ৰসাৰণ ঘটিল। পুৰণি অসমত আৰ্য সংস্কৃতিৰ বিস্তাৰৰ ক্ষেত্ৰত নৰকৰ আখ্যানে বহু কথাৰ ইঙ্গিত দিয়ে। জনশ্ৰুতিমতে নৰকেই প্ৰথম ব্ৰাহ্মণসকলক প্ৰাগ্‌জ্যোতিষত স্থাপন কৰে।[৮৪] ভাষ্কৰবৰ্মণৰ (আনুমানিক ৫৯৪-৬৫০ খ্ৰীঃ) ডুবি আৰু নিধানপুৰ ফলিৰপৰা জনা যায় যে তেওঁৰ পূৰ্বপুৰুষ ভূতি বৰ্মণে (আনুমানিক ৫১০-৫৫৫ খ্ৰীঃ) তেওঁৰ ৰাজ্যত দুশতকৈ অধিক ব্ৰাহ্মণক সংস্থাপিত কৰিছিল।[৮৫] মধ্যদেশ বা

[৮৪] Choudhury, op. cit, p.103.

[৮৫] *ibid.*,p.145.

১৩২১-১৩৬৬) নামৰ ৰজা জনেও এই কাম কৰাটো সম্ভৱ, যিয়ে সুদীৰ্ঘ ৪৫ বছৰ ৰাজত্ব কৰিছিল।[১২] তাম্ৰেশ্বৰী মন্দিৰৰ গাঁথনিৰ শৈলীৰ ফালৰপৰা এই মন্দিৰটো হিন্দু মন্দিৰ বিকাশৰ ধাৰাবাহিক পৰ্যায়ত পেলোৱাত অসুবিধা হয়। কাৰিকৰী দিশৰপৰা ইয়াৰ মাজত এক পূৰ্ণত্ব সৃষ্টি প্ৰতিফলিত হয় যদিও স্থাপত্যটোৰ সৰু আকৃতি আৰু অনাড়ম্বৰ ৰূপে ইয়াক নিতান্ত ব্যৱহাৰিক সৌধ হিচাবে নিৰ্মাণ কৰাটো অনুভৱ হয়। এই মন্দিৰটো প্ৰথম




(তাম্ৰেশ্বৰী মন্দিৰৰ বাস্তুপুৰুষ মণ্ডলৰ নক্সা)

অৱস্থাত নিশ্চয় শিখৰেৰে সৈতে নিৰ্মাণ কৰা হৈছিল আৰু সময়ত ইয়াৰ ওপৰৰ অংশটো ভাঙি পৰাত ভৰ কমাবৰ বাবে তামৰ পাতেৰে ঢাকি দিয়া হ'ল। পূৰ্বতে এই মন্দিৰৰ মস্তক অৰ্থাৎ কলচী অংশটো 'নাগৰ' মন্দিৰৰ দৰে নিৰ্মাণ হৈছিল বুলি ইয়াৰ চৌহদত থকা তিনিঠেঙীয়া শিল এডোখৰৰপৰা ধৰিব পাৰি, যিয়ে এসময়ত মস্তকৰ এটা অন্যতম অংশ 'আমলক'ৰ (আমলখিৰ দৰে থিয় শিৰ থকা) এক খণ্ড অধিকাৰ কৰিছিল।[১৩]

এই মন্দিৰৰ দেৱীগৰাকীৰ নাম তাম্ৰেশ্বৰী হোৱাৰ মূলতে ইয়াৰ যে চাল অংশ তামেৰে নিৰ্মিত সেই কথা সুনিশ্চিত হৈছে। কিন্তু ইমান নিমজকৈ নিপুণ কাৰিকৰে নিৰ্মাণ কৰা এই মন্দিৰৰ বিগ্ৰহৰ নিশ্চয় এটা প্ৰাচীন নাম আছিল। আমি **কালিকাপুৰাণ**ৰ আধাৰত এই মন্দিৰকে দিক্কৰবাসিনী দেৱী বুলি অনুমান কৰিব পাৰো, যাৰ পূব সীমাৰে শ্বেতগঙ্গা কামৰূপৰ সীমা হিচাবে প্ৰবাহিত হৈছিল।

১২ **দেওধাই**, পৃঃ ১৮২

১৩ গুপ্ত যুগৰ পাতনিৰ (খ্ৰীঃ চতুৰ্থ শতিকা) পৰা ভাৰতীয় মন্দিৰ স্থাপত্য এক সৰু, চাৰিকোণীয়া ভেটিৰে আৰম্ভ হৈ সময় আগবঢ়াৰ লগে লগে বাহিৰৰ বেৰবোৰ অগা-পিছা কৰি কৰ্দৈশিৰীয়া সৌধত পৰিণত হয়। ইয়াক শাস্ত্ৰীয় শব্দাৱলীত "নাগৰ" শৈলী বুলি কোৱা হৈছে। এনে মন্দিৰৰ শিখৰৰ ওপৰত থকা কলচীক 'মস্তক' বুলি কোৱা হয়। এই 'মস্তক' কেইবাটাও অংশেৰে গঠিত হৈছিল যাৰ এটা অংশৰ নাম 'আমলক'। এই শিলাখণ্ডৰ গাত আমলখিৰ দৰে থিয় ঢৌ থাকে আৰু এই খণ্ডটো কেতিয়াবা কেইবাটাও টুকুৰা শিল লগ লগাই এক পূৰ্ণাঙ্গ 'আমলক' ৰূপ দিয়া হছিল। তাম্ৰেশ্বৰীত এমে এডোখৰ অংশ থিয় কৈ পুতি নৰবলিৰ কাৰণে ব্যৱহাৰ হৈছিল বুলি কোৱা হৈছে। (**পবিত্ৰ অসম**, পৃঃ ২৪)। সি যি কি নহওক, এই শিল ডোখৰে এই মন্দিৰৰ 'মস্তক' উত্তৰ ভাৰতীয় 'নাগৰ' মন্দিৰৰ অনুৰূপ আছিল বুলি প্ৰমাণ কৰে।



**পায়া নদীৰৰ পাৰৰ শিৱমন্দিৰ ঃ** অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ পায়া নামৰ নদীখনৰ বাঁওপাৰে এটা টিলাৰ ওপৰত এটা মন্দিৰৰ অৱশেষ দেখা যায়।[১৪] এই নদীৰ আনটো পাৰত তাম্ৰেশ্বৰী মন্দিৰ আছে। মন্দিৰটোত এটা শিৱলিঙ্গ আছিল যিটো তাৰপৰা অপসাৰিত কৰি বৰ্ত্তমানে তেজুৰ নতুনকৈ সজা এটা মন্দিৰত প্ৰতিষ্ঠা কৰা হৈছে। ১৯৫৯ চনত পায়া নদীত ঢল আহি সোঁ পাৰে থকা তাম্ৰেশ্বৰী মন্দিৰটো সম্পূৰ্ণ পুতি পেলালে যদিও ইয়াৰ এক কিলোমিটাৰ মান আঁতৰৰ উক্ত মন্দিৰটো ওখ ঠাইত থকাৰ বাবে কথমপি ৰক্ষা পৰিল।

শিৱ মন্দিৰটোত দুটা আছুতীয়া ইটাৰ ভেটি দেখা যায়। ইয়াৰে ৯১.৫ ছেঃমিঃ বৰ্গৰ ভেটিটোৰ ওপৰত ১০৬ ছেঃমিঃ ওখকৈ শিৱলিঙ্গটো আছিল যাক নদীখনৰ উৎপাতৰ বাবে আঁতৰাই নিয়া হ'ল। আনটো ভেটি বৃত্তাকাৰ নক্সাৰ আৰু ইয়াৰ ব্যাস ১২০ ছেঃমিঃ। এই টিলাৰ ওপৰত থকা শিৱ মন্দিৰৰ অৱশেষ প্ৰথম অৱস্থাত মাটি আৰু হাবি-বননিয়ে ঢাকি আছিল আৰু উক্ত শিৱলিঙ্গটো যথাৰ্থত ১৯৬৫-৬৬ চনতহে খান্দি উলিওৱা হয়। নথি অনুসৰি ইয়াত পোৱা ইটাবোৰ বৰ নিমজ দেখা গৈছিল আৰু এইবোৰ খুন্দা খালে ধাতুৰ দৰে শব্দ হৈছিল। ইটাবোৰ নানান জোখৰ আছিল যদিও এটা ডাঙৰ ইটাৰ জোখ ৩৮.১০ x ৩৮.১০ x ৭.৬ ছেঃমিঃ পোৱা গৈছিল। এইবোৰ ইটাৰ জোখ নুমলিগড়ৰ দেও পৰ্ব্বতত পোৱা ইটাৰ জোখৰ লগত মিলি গৈছিল। কাৰিকৰী দিশৰপৰা বিবেচনা কৰিলে এনে ইটা গঢ়া কাৰ্য কেৱল পুৰুষানুক্ৰমে চলি অহা বিদ্যাৰ বলতহে সম্ভৱ হয়।


সাধাৰণতে হিন্দু পৰম্পৰা মতে শক্তি মন্দিৰৰ লগত শিৱ মন্দিৰ থাকিলেহে তীৰ্থযাত্ৰীৰ ভ্ৰমণ সাৰ্থক হয়। কামাখ্যাত দহজনা দেৱীৰ মন্দিৰৰ লগত পাঁচজনা শিৱৰ মন্দিৰো আছে। এই বিচাৰেৰে তাম্ৰেশ্বৰী দেৱী মন্দিৰৰ ওচৰত এই শিৱ মন্দিৰ থকাটো তাৎপৰ্যপূৰ্ণ। মন্দিৰটো নিশ্চয় তাম্ৰেশ্বৰী মন্দিৰ প্ৰতিষ্ঠাৰ সময়ৰে হ'ব।

**বুঢ়াবুঢ়ী থান ঃ** সদিয়াৰ ওচৰৰ বুঢ়া-বুঢ়ী থানখন এচাম মানুহৰ মাজত এতিয়াও যথেষ্ট জনপ্ৰিয় হৈ আছে। বিগত শতিকাবোৰত এই মন্দিৰ বানে জুৰুলা কৰিছে যদিও ইয়াত এখন সুপৰিকল্পিত দেৱালয়ৰ চিনবোৰ ৰৈ গৈছে। স্থানীয় লোকসকলে এই থানখন চুতীয়া ৰজাসকলৰ অৱদান বুলি বিশ্বাস কৰে। আমি এই মন্দিৰ ১৯৮৯ চনৰ জানুৱাৰী মাহত ভ্ৰমণ কৰিছিলো। বুঢ়াবুঢ়ী মন্দিৰৰ সৌধটো আঠকোণীয়া আছিল, যাৰ প্ৰতিটো বাহু বাহিৰেৰে ৩৪০ ছেঃমিঃ আছিল। মন্দিৰৰ গাঁথনি শিলৰ আছিল আৰু ইয়াত লোহাৰ গজাল আৰু 'ব্ৰেকেট' ব্যৱহাৰ হৈছিল যদিও বৰ্তমানে ভেঁটিৰ গাঁথনিৰ অতি সামান্য এক অংশহে বৰ্ত্তি আছে। এই গাঁথনিত গ্ৰেনাইট শিলেৰে নিৰ্মিত অক্ষত স্থাপত্যৰ এক উচ্চমান ফুটি উঠিছে। এতিয়াৰ মন্দিৰৰ বেৰ আৰু চাল কাঠৰ জঁকাত টিং গজলিয়াই গঢ়া হৈছে।

এই মন্দিৰৰ সুগঠিত পৰিকল্পনাৰ আন এক মন কৰিবলগীয়া কথা হ'ল ইয়াৰ

১৪ **AAP**, pp.19, 20

চৌপাশে থকা অষ্টাকৃতিৰ মাটিৰ গড় আৰু তাৰ বাহিৰৰ সুস্পষ্ট গড়খাৱৈ। যিমান দূৰ সম্ভৱ এই স্থানত কোনো ইটাৰ সৌধ আছিল য'ত ১৮ x ১২ x ৪ ছেঃমিঃৰপৰা ২৫ x ১৭ ১/২ x ৪ ছেঃমিঃ জোখৰ নিমজ ইটা ব্যৱহাৰ হৈছিল। ইয়াত কিছু পৰিমাণে মানুহে



বুঢ়া-বুঢ়ী মন্দিৰৰ নক্সা

দাঙিবপৰা জোখৰ পাহাৰুৱা নদীৰ মিহি শিলো দেখা গৈছে আৰু এইবোৰ নিশ্চয় মন্দিৰটোক বানৰ খহনীয়াৰপৰা ৰক্ষা কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

বুঢ়াবুঢ়ী মন্দিৰৰ নিৰ্মাতা কোন আছিল জনা নাযায়, কিন্তু ইয়াৰ পৰিকল্পনা আৰু গাঁথনিত চুতীয়াসকলৰ উচ্চ কাৰিকৰী বিদ্যা প্ৰতিফলিত হৈছে। এই স্থাপত্য ইয়াৰ প্ৰায় ২০০ মিটাৰ পূবেৰে বৈ ঘোৱামৰা নদীখনে বিনষ্ট কৰা বুলি ধাৰণা হয়।

## পুখুৰী, প্ৰাচীৰ আৰু দূৰ্গ

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সদিয়াৰপৰা সোৱণশিৰীৰ মধ্যৱৰ্তী অঞ্চলত ভালেমান পুখুৰী, গড় আদি দেখা যায়। এইবোৰৰ ইতিহাস অজ্ঞাত যদিও তাৰে এচামৰ প্ৰাচীনত্ব আৰু বৈশিষ্ট্য চকুতপৰা বিধৰ। এইবোৰৰ কিছুমান চুতীয়াসকলৰ অৱদান বুলি ইয়াৰ নিৰ্মাণ শৈলীৰপৰা ধৰিব পাৰি। সেইবোৰৰ মাজৰে সীমিত কেইটামান সম্পদ বাচনি কৰি ইয়াত ব্যাখ্যা কৰা হ'ল -


**ভীষ্মক নগৰৰ অৱশেষ ঃ** লোহিত আৰু দিবং নদীৰ দোৱাবত থকা ভীষ্মক নগৰৰ দূৰত্ব ৰ'য়িঙৰ পৰা ২৪ কিঃমিঃ। ভাগৱত প্ৰসিদ্ধ ৰজা ভীষ্মকৰ ৰাজধানী বুলি কথিত এই নগৰৰ ঐতিহ্য আমাৰ বাবে এক জনপ্ৰিয় জনশ্ৰুতি হৈ আছে। প্ৰাচ্যবিদ ড° থিয়োদৰ ব্লকে এই স্থান ১৯০৫ চনত ভ্ৰমণ কৰোঁতে এই নগৰ এক অটব্য জংঘলৰ মাজত অদৃশ্য হৈ থকা দেখা পাইছিল। তেওঁ পূব সীমাত থকা এই নগৰৰ গড়টোৰ দাঁতিয়ে দাঁতিয়ে প্ৰায় তিনি কিলোমিটাৰ ভ্ৰমণ কৰিছিল।[১৫] কিন্তু প্ৰত্নতত্ত্ববিদজনে ইয়াৰ মাজত কোনো

[১৫] **SBAA**, pp.7 to 11



জনবসতিৰ চিন দেখা পোৱা নাছিল। অৱশ্যে সদিয়াৰপৰা ভীষ্মক নগৰৰ ফাললৈ আগুৱাই গৈ থাকোঁতে তেওঁ বাহিৰৰপৰা পৰশুৰামকুণ্ডলৈ অহা তীৰ্থযাত্ৰীসকলৰ মাজত খাদ্য আৰু আন আন সামগ্ৰী যোগান ধৰা এচাম পাঞ্জাৰী বেপাৰী লগ পাইছিল, যিয়ে অতীতৰেপৰা উত্তৰ ভাৰতৰ লগত সদিয়া অঞ্চলৰ পৰিচয় থকাৰ কথা স্পষ্টকৈ দেখুৱাইছে।

ড° ব্লকে ভীষ্মক নগৰৰ সবিশেষ উদ্ধাৰ কৰিব পৰা নাছিল যদিও তেওঁ এই নগৰৰ মাজত চাৰিটা অতিকায় পুখুৰী আৰু কিছু পৰিমাণে ইটাৰ অৱশেষ দেখা পাইছিল। তেওঁ নগৰখনৰ চাৰিওফালে সীমাত থকা গড়টোৰ ক্ষেত্ৰত কৈছিল যে ইয়াৰ উচ্চতা বিশেষ চকুত পৰা নাছিল যদিও ছয়ৰ পৰা ন তৰপ শিলেৰে নিৰ্মিত এই গড়ৰ ওপৰত মাটি দি এই মাটি ধৰি ৰাখিবৰ বাবে ইটাৰ গাঁথনি ব্যৱহাৰ কৰা হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক বিভাগে এই অঞ্চলত বিস্তৃত উদ্‌ঘাটন অভিযান চলাই নগৰখনৰ এটা সামগ্ৰিক ৰূপ আৰু বহুত তথ্য পোহৰলৈ আনে। এই জৰীপৰ পৰা দেখা যায় যে প্ৰায় ১০ বৰ্গ কিলোমিটাৰ আগুৰি থকা এই নগৰখনৰ পৰিধি অৰ্দ্ধবৃত্তাকাৰ এটা মূৰেৰে সৈতে আয়ত ক্ষেত্ৰাকাৰ আছিল। উত্তৰা-দক্ষিণাকৈ থকা এই নগৰৰ উত্তৰ মূৰত এখন সুউচ্চ পাহাৰ আৰু বাকী সীমাত এটা ৪৫০ ছেঃমিঃ ওখ আৰু ৬০০ ছেঃমিঃ বহল মাটিৰ গড়ে আগুৰি আছে। নগৰখনলৈ সোমাবৰ বাবে ইয়াৰ পূব আৰু পশ্চিম সীমাৰ মাজ অংশত বাটচ'ৰা থকা একোখন প্ৰবেশদ্বাৰ আছিল আৰু দুয়োখন দুৱাৰৰ সন্মুখত আঁৰ-বেৰ দি এমূৰেদি প্ৰবেশ কৰাৰ ব্যৱস্থা কৰা হৈছিল। নগৰৰ এই বৃহৎ অঞ্চলটোৰ মাজত থকা এটা ইটাৰে নিৰ্মিত ঘৰৰ অৱশেষ খান্দি উলিওৱা হৈছে, য'ত তিনিটা আহল-বহল কোঠাৰ চিনৰ লগতে দুটা মূল গাঁথনিৰপৰা বঢ়াই গঢ়া সৰু কোঠা আৰু ১.৫০ মিটাৰ ওখ এখন শিলৰ বেৰ আছে। নগৰখনৰ এটা মন কৰিবলগীয়া কথা হ'ল ই উত্তৰ ফালৰপৰা ক্ৰমে এঢলীয়াভাৱে আগুৱাই আহি দক্ষিণৰ সমতলৰ লগত একাকাৰ হৈ পৰিছে।[১৬]



ভীষ্মক নগৰৰ নক্সা

[১৬] **AAP**, pp. 28, 29

ভীষ্মক নগৰৰ উদ্ধাৰৰপৰা সময়-সূচক কোনো প্ৰত্যক্ষ স্বাক্ষৰ পোহৰলৈ নহাৰ বাবে এই নগৰৰ নিৰ্মাতাৰ নাম অনিশ্চিত হৈ আছে। অথচ অতীতৰ লগত সংযোগ হেৰাই গৈয়ো এই নগৰৰ নামটো আমাৰ ঐতিহ্যৰ লগত পৰিচয় নথকা ইংৰাজ অভিযানকাৰীসকলে উনবিংশ শতিকাৰ আগভাগত ইয়ালৈ ভ্ৰমণ কৰোঁতে জীয়াই থকাটো গম পালে। এতেকে এই জনশ্ৰুতি ইমান আচহুৱা পৰিবেশত বৰ্ত্তি থকা কথাই ই এক সঁচা শক্তিশালী ইতিহাসৰ প্ৰতিভূ হোৱাৰ কথাকে সূচায়। **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট চুতীয়া বুৰঞ্জীৰ প্ৰথম খণ্ডটোৰ প্ৰস্তাৱনাত থকা শ্লোকৰ শাৰী দুটাত চুতীয়াসকলৰ আদি পুৰুষ ভীৰ্মোক (ভীষ্মক) বুলি কোৱা হৈছে। পুৰণি কামৰূপৰ তিনিটা বংশই নৰকক তেওঁলোকৰ আদি ৰজা বুলি কৰা দাবীৰ দৰেই এই প্ৰসঙ্গ তাৎপৰ্যপূৰ্ণ। আনহাতে, চুতীয়া ৰাজত্বৰ সময় আৰু ভৌগোলিক স্থিতিৰ বিবেচনাৰে ভীষ্মক নগৰৰ নিৰ্মাতাজনো কোনো চুতীয়া নৃপতিয়েই হ'ব লাগিব। হয়তো, অদূৰ ভবিষ্যতৰ প্ৰত্নতাত্ত্বিক উদ্‌ঘাটনে এই কথা স্পষ্টতৰ কৰি তুলিব।

**ৰুক্মিণী নগৰ ঃ** দিবং উপত্যকাৰ নামনি অংশত, মিচিমি পাহাৰৰ পাদদেশত এই দুৰ্গৰ চিন আছে। উনবিংশ শতিকাৰ চাৰিৰ দশকলৈকে এই নগৰৰ চৌপাশৰ গড়ে চিদু আৰু চিম্‌ৰী নামৰ গাঁও দুখন আগুৰি আছিল। কিন্তু ১৯৫০ চনৰ ভূমিকম্পৰ সময়ত পানীৰ ঢলে চিদুক বিনষ্ট কৰাত কেৱল চিম্‌ৰী গাঁৱৰ অঞ্চলতহে এই নগৰৰ স্মৃতি ৰৈ গৈছে। এই নগৰৰ লগত ভীষ্মক নগৰ তথা চুতীয়া ৰাজত্বৰ সম্বন্ধ থকাটো ইয়াত পোৱা সমলে প্ৰমাণ কৰিছে।[১৭]

অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক বিভাগে বিগত শতিকাৰ সত্তৰ দশকত ৰুক্মিণী নগৰত খনন কাৰ্য চলাই এই নগৰৰ প্ৰাচীনত্ব নিৰূপণ কৰে। এই ঠাইত ১০ x ২০.২৫ মিটাৰ আৰু ১২ x ১০.২৫ মিটাৰ বিস্তৃতিৰ দুটা ইটাৰে গঢ়া কোঠালি পোহৰলৈ আহে। ইয়াত পোৱা ইটা আৰু মৃন্ময় খণ্ডবোৰ ভীষ্মক নগৰৰ সমপৰ্যায়ৰ, যিয়ে ইয়াক চুতীয়াসকলৰে অৱদান বুলি প্ৰমাণ কৰিছে।

ৰুক্মিণী নগৰ নামটো কেনেকৈ জনশ্ৰুতিয়ে জীয়াই ৰাখিলে তাৰ উল্লেখ ক'তো নাই। কিন্তু ভীষ্মকৰ লগত থকা ইয়াৰ কাহিনীগত সম্বন্ধই ইয়াক বেছি আকৰ্ষণীয় কৰি তুলিছে। এইখিনিতে উল্লেখযোগ্য যে এই অঞ্চলৰ বাসিন্দা মিচিমিসকলে তেওঁলোকৰ মাজত থকা কিংবদন্তি অনুসৰি ৰুক্মিণীক তেওঁলোকৰ ভনী বুলি জ্ঞান কৰে।

**ৰুক্মিণী আলি ঃ** জোনাইৰপৰা ৮ কিঃমিঃ মান দক্ষিণে ৰুক্মিণী-আলি নামৰ পুৰণি পথ এটাৰ চিন দেখা যায়। এই পথটো সদিয়াৰ ফালৰপৰা ক্ৰমে পশ্চিমলৈ আগুৱাই আহি সোৱণশিৰীৰ ওচৰলৈ বিয়পি থকা দেখা গৈছে। সদিয়াৰপৰা গোগামুখলৈ এই সুদীৰ্ঘ পথছোৱাত ইমানবোৰ সৰু-বৰ নদীৰ বাধা থকা স্বত্বেও নিৰ্মাণ কৰা এই ঐতিহাসিক

[১৭] **AAP**, p.28



পথটোৰ নিশ্চয় এক বিশেষ ইতিহাস আছে যাৰ বিষয়ে কোনো চিন্তা-চৰ্চ্চা হোৱা নাই। ভীষ্মক নগৰ, ৰুক্মিণী নগৰ আদিৰ লগত সাঙোৰ খাই থকা এই পথৰ লগত চুতীয়া ৰাজ্যৰ ইতিহাস দেখদেখ কৈ জড়িত হৈ আছে। স্থানীয় জনশ্ৰুতি অনুসৰি এই পথেদি হেনো শ্ৰীকৃষ্ণই ৰুক্মিণীক বিয়া কৰাই ভীষ্মক নগৰৰপৰা দ্বাৰকালৈ লৈ গৈছিল।

আহোম বুৰঞ্জীৰপৰা দেখা যায় চুতীয়াসকলে সদিয়া অঞ্চলৰপৰা পশ্চিমলৈ যুদ্ধাভিযান চলাই ডিব্ৰুমুখ আৰু দিখৌ-মুখত আহোম সৈন্য-বাহিনীৰ লগত বহুত বাৰ যুদ্ধ কৰিছিল।[১৮] হয়তো এই নৌ-যুদ্ধৰ লগতে যুদ্ধৰ সা-সৰঞ্জাম কঢ়িয়াবৰ বাবে এটা স্থলপথৰো প্ৰয়োজন আছিল আৰু কিংবদন্তিত সোমাই পৰা ৰুক্মিণী আলি এই বাবে নিৰ্মাণ কৰা হৈছিল। আনহাতে চুতীয়া ৰাজশক্তিৰ দৰে এক শক্তিশালী সংগঠন নহ'লে ইমানবোৰ নদী অতিক্ৰমি এনে এটা পথ নিৰ্মাণ কৰাটো নিশ্চয় উজু নাছিল।


**চপাখোৱা ৰাজগড় ঃ** সদিয়া অঞ্চলৰ চপাখোৱাৰপৰা কুণ্ডিলঘাটলৈ যোৱাৰ বাটত সময়ে জুৰুলা কৰা এটা পুৰণি গড় পুবা-পশ্চিমাকৈ বিয়পি থকা দেখা যায়। এই গড়টো কুণ্ডিলৰ ইপাৰ সিপাৰত একে ৰেখাতে কেইবা কিলোমিটাৰ জুৰি বৰ্ত্তি আছে। এই গড়টো এঠাইত গড়কাপ্তানী পথৰ কাষতে, পোন বাট এৰি অগা-পিছা ভাজেৰে এটা বেহুৰ সৃষ্টি কৰি পুনৰ সৰল ৰেখাত আগবাঢ়িছে। এই বেহুৰ প্ৰতিটো বাহুৰ জোখ ৪৪ মিটাৰ আৰু ইয়াক বিশেষ নিপুণতাৰে নিৰ্মাণ কৰিছে। ওচৰা-ওচৰিকৈ এনে দুটা বেহু দেখা যায়। বেহু দুটা কুণ্ডিল নদীৰ লগত সমান্তৰালভাৱে থকাৰ উপৰিও ই নদীৰ পৰা ওচৰত থকা বাবে ইয়াক নদীৰে অহা শত্ৰু সৈন্যক বাধা দিয়াৰ বাবে নিৰ্মাণ কৰা বুলি ধাৰণা হয়। স্থানীয়ভাৱে ৰাজগড় বুলি পৰিচিত এই বিৰল প্ৰতিৰক্ষা ব্যৱস্থা চুতীয়া ৰজাসকলৰে সৃষ্টি যেন অনুমান হয়। ই আহোমৰ গড় নিৰ্মাণ পদ্ধতিৰ লগত নিমিলে। অৱশ্যে এনে সৰল আৰু সৰু গড় এটা নগাঁও জিলাৰ মিচাৰ ওচৰত আছে আৰু ইয়াক বুঢ়া-বুঢ়ী গড় নামে জনা যায়।

**চপাখোৱাৰ বৰপুখুৰী ঃ** চপাখোৱাৰ আশে-পাশে কেইবাটাও পুখুৰী দেখা যায়। ইয়াৰে নগৰৰ অলপ পশ্চিমলৈ থকা বৰপুখুৰী নামৰ পুখুৰীটোৰ আকৃতি আনবোৰতকৈ বেলেগ। কেৱল সেয়ে নহয়, ই এই অঞ্চলৰ ভিতৰত সৰ্ব্ববৃহৎ। পুখুৰীটোৰ প্ৰস্থৰ তুলনাত দৈৰ্ঘ বৰ বেছি। ইয়াৰ দীঘ প্ৰায় ৩০০ মিটাৰ আৰু প্ৰস্থ ৪০ মিটাৰ। ইয়াৰ পাৰবোৰ ৪ মিটাৰ ওখ। পুখুৰীৰ ওচৰত ঘৰৰ বাবে ভেটি খান্দোতে এজন মানুহে কেইটামান ধাতুৰ পাত্ৰ আৰু পোৰামাটিৰ বস্তু পাইছিল। এইবোৰ কিমান পুৰণি স্পষ্টকৈ জনা নগ'ল। এনে পুখুৰী অসমৰ আন আন ঠাইত অতীতৰেপৰা থকা পুখুৰীৰ অনুপাতত তেনেই সীমিত।

[১৮] ৰজা ছুহুংমুঙৰ ৰাজত্বৰ সময়ত দিখৌমুখ, দিহিংমুখ, চেচামুখ, ডিবুৰুমুখ আদিত চুতীয়া আৰু আহোমৰ মাজত অহৰহ ৰণ হৈছিল (**দেওধাই**, পৃঃ ১৫-১৮)। এই যুদ্ধৰ কথাবোৰ আহোম বুৰঞ্জীত লিপিবদ্ধ হৈছে যদিও ইয়াত চুতীয়াসকলৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গড়-কোঠ আদিৰ বৰ্ণনা নাই। কিন্তু দিখৌমুখ পৰ্যন্ত আগুৱাই আহি পচলাগড় বান্ধি যুদ্ধ কৰা চুতীয়াৰ উত্তৰপাৰে প্ৰতিৰক্ষা কিছু কম হোৱাটো ঐতিহাসিক দৃষ্টিকোণৰ পৰা যুক্তিযুক্ত।

পুখুৰীটোৰ ভৌগোলিক অৱস্থান আৰু বৈশিষ্ট্যলৈ চাই ইয়াক চুতীয়াসকলৰ অৱদান বুলি অনুমান কৰিব পাৰি। এই পুখুৰীৰ ওচৰত বসতি দেখা নাযায়, কোনো মন্দিৰ বা আন স্থাপত্যৰো চিন, অৱশেষ নাই। হয়তো ইয়াৰ ওচৰত খনন কাৰ্য কৰিলে কোনো সময় সূচক সমল ওলাব পাৰে।

**প্ৰতিমা নগৰ ঃ** চপাখোৱাৰ ওচৰৰ বুঢ়াবুঢ়ী নেপালী গাঁৱৰ উপকণ্ঠত সুউচ্চ প্ৰাচীৰেৰে আগুৰা এখন দূৰ্গ নগৰী আছে। এই নগৰৰ স্থানীয় নাম প্ৰতিমা নগৰ। নগৰখনৰ এই নাম কেনেকৈ হ'ল জনা নগ'ল। আয়তাকাৰ এই নগৰখনক তিনিখন প্ৰাচীৰে আগুৰি আছে। প্ৰতি যোৰ প্ৰাচীৰৰ মাজত একোটা বহল গড়খাৱৈ আছে। এই নগৰখনৰ একেবাৰে ভিতৰৰ গড়টোৰ বাহিৰৰ ফালৰ জোখ পূবা-পশ্চিমাকৈ ২৪০ মিটাৰ আৰু উত্তৰা-দক্ষিণাকৈ ১৮৫ মিটাৰ। এই গড় আৰু দ্বিতীয়টো গড়ৰ মাজত থকা গড়খাৱৈৰ প্ৰস্থ পূব আৰু পশ্চিমত ৮৯ মিটাৰ, আৰু উত্তৰ আৰু দক্ষিণত ৩৮ মিটাৰ। নগৰখনৰ একেবাৰে ভিতৰৰ গড়টোৰ উচ্চতা প্ৰায় ২০ মিটাৰ। নগৰখনৰ ভিতৰৰ পশ্চিম মূৰলৈ দুটা টিলা দেখা যায়। ইয়াৰে দক্ষিণফালৰ টিলাটো প্ৰায় ৭ মিটাৰ ওখ। ইয়াৰ নক্সা আয়ত ক্ষেত্ৰাকাৰ আৰু ওপৰত এখন আহল-বহল সমান ঠাই আছে। টিলাটোৰ ওপৰত সিঁচৰতি হৈ পৰি থকা টুকুৰাবোৰৰপৰা ধাৰণা হয় এসময়ত ইয়াত এটা ইটাৰে নিৰ্মিত সৌধ আছিল। এই টিলাৰ উত্তৰলৈ থকা টিলাটো তিনি মিটাৰ মান ওখ হ'ব। কিন্তু ইয়াত পৰি থকা ইটাৰ পৰিমাণ যথেষ্ট বেছি। ইটা আৰু পাহাৰীয়া নদীৰ মিহি শিল (boulder) এই নগৰৰ চৌপাশে থকা গড়কেইটাৰ ওপৰতো যথেষ্ট পৰিমাণে দেখা যায়। নগৰখনৰ পৰিকল্পনাৰ এটা বিশেষত্ব হ'ল ইয়াৰ ভিতৰত গড়টোৰ উচ্চতা তিনিওটাৰ তুলনাত আটাইতকৈ বেছি আৰু বাকী দুটা ক্ৰমে সৰু।




প্ৰতিমা নগৰৰ নক্সা (গড়, খাৱৈ, টিলা আদি)

অসমত নিৰ্মাণ হোৱা প্ৰাচীৰ নগৰীৰ ক'তো প্ৰতিমা নগৰৰ লেখীয়া সৰল অথচ প্ৰতিৰক্ষাৰ দিশৰপৰা সুপৰিকল্পিত নক্সা দেখা নাযায়। আমি ১৯৮৯ চনৰ জানুৱাৰী



মাহত এই ঠাইলৈ যাওঁতে কিছু পৰিমাণে বেদখল আৰু গড়বোৰৰ অনিষ্ট সাধন চকুত পৰিছিল। গড়টোৰ নিৰ্মাণ কৌশল আৰু সামগ্ৰিক নক্সাত এক প্ৰাচীন শৃংখলা ফুটি উঠিছে। আহোমৰ ৰাজত্বৰ সময়ত এই অঞ্চলত এনে বৃহৎ কোনো পৰিকল্পনা হাতত লোৱা দেখা নাযায় আৰু বুৰঞ্জীবোৰত বিশেষকৈ চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীত এই প্ৰাচীৰ নগৰীৰ উল্লেখ নাই। আমাৰ বিচাৰেৰে এই অঞ্চলত স্থাপত্য-ভাস্কৰ্য্যৰ মুক্ত পৃষ্ঠপোষকতা আগবঢ়োৱা চুতীয়াসকলৰ ৰাজত্বৰ সময়তে এই দূৰ্গ নিৰ্মাণ হৈছিল।

ধেমাজি-ঢকুৱাখনা অঞ্চলত ছোগোচোৰোকাকৈ অ'ত ত'ত পুৰণি দিনৰ কেতবোৰ ঐতিহাসিক সমল চকুত পৰে। জোনাইৰ ৰজাখনা অঞ্চলৰ উপৰিও ভেৰাচাপৰি, মাছখোৱা, চৌখামগাঁও, বৰদলনি আদিত দুই-এটা পুৰণি অৱশেষ দেখা যায়। এইবোৰ চুতীয়া পৃষ্ঠপোষকতাত হোৱাৰ কোনো প্ৰত্যক্ষ প্ৰমাণ নাই যদিও এসময়ত এই অঞ্চলবোৰত এই ৰাজশক্তি প্ৰবল হৈ থকালৈ চাই এইবোৰ এওঁলোকৰ সৃষ্টি হ'ব পাৰে বুলি অনুমান হয়।

## ভাস্কৰ্য্য কলা

স্থাপত্যৰ লগত ভাস্কৰ্য্যৰ অঙ্গাঙ্গী সম্বন্ধ আছে। যিহেতু চুতীয়া ভাস্কৰ্য্যৰ আছুতীয়া চৰ্চা এতিয়ালৈকে হোৱা নাই, এতেকে এই সৃষ্টিৰ বিশ্লেষণ একমাত্ৰ স্থাপত্যবোৰৰ আধাৰত হোৱাটোহে সম্ভৱ। ওপৰত উল্লেখ কৰি অহা স্থাপত্যবোৰৰ ক্ষেত্ৰত যিমান দূৰ পৰা যায় প্ৰতিটোৰে সৃষ্টিৰ সময় আমি দিবলৈ চেষ্টা কৰিছো। যিহেতু বেছিভাগ ভাস্কৰ্য্যই স্থাপত্যৰ অঙ্গ হিচাবে প্ৰতিটো স্থানতে সৃষ্টি হোৱাৰ উমান আমি পাইছো, এতেকে এইবোৰৰ সময় স্থাপত্যৰ সময়ৰ অনুৰূপ হোৱাটো স্বাভাবিক।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে মালিনীথানৰ স্থাপত্যত দ্বাদশ-ত্ৰয়োদশ শতিকাৰ প্ৰভাৱ সুস্পষ্ট। ইয়াত হোৱা খননৰ মাজেৰেপোহৰলৈ অনা বাস্তুপুৰুষ মণ্ডলত উত্তৰ ভাৰতীয় 'নাগৰ' মন্দিৰৰ এক পূৰ্ণ বিকশিত ৰূপ প্ৰতিফলিত হৈছে। এই ঠাইত খান্দি উলিওৱা মূৰ্ত্তি আৰু নক্সাবোৰে পূৰ্ণাঙ্গ মন্দিৰৰ গা শুৱনি কৰিছিল। এইদৰে এই ভাস্কৰ্য্যবোৰ দ্বাদশ-ত্ৰয়োদশ শতিকাৰ বুলি ধৰিব লাগিব। যিহেতু এই সময়ত এই অঞ্চলত কেৱল চুতীয়া ৰাজশক্তিহে প্ৰবল হৈ আছিল, এতেকে এই ভাস্কৰ্য্য চুতীয়াসকলৰ অৱদান বুলি ক'ব পাৰি।

মালিনীথানৰ ভাস্কৰ্য্যবোৰ শৈলীৰ ফালৰপৰা ভাৰতীয় উত্তৰ মাৰ্গীয় ভাস্কৰ্য্যৰ লগত একে হ'লেও ইয়াত ব্যৱহৃত শিলবোৰ তেনেই ঠুনুকা হোৱাৰ বাবে ইয়াৰ প্ৰায়বোৰ বিকলাঙ্গ হোৱা দেখা গৈছে। কিন্তু ভাৰতীয় বাস্তুশাস্ত্ৰৰ বিধি অনুসৰি মূৰ্ত্তিৰ বাবে শিলৰ বাচনি গুৰুত্ব সহকাৰে কৰি অহা স্বত্বেও ইয়াত ইমান নিম্ন মানৰ শিল কিয় ব্যৱহাৰ কৰা

হ'ল, তাৰ নথি আমাৰ হাতত নাই যদিও তাক যুক্তিনিষ্ঠভাৱে অনুমান কৰাৰ থল আছে। হয়তো কম সময়ৰ ভিতৰতে শক্তিশালী হৈ উঠা চুতীয়া ৰাজশক্তিয়ে এচাম নিপুণ আৰু অভিজ্ঞ খনিকৰৰো অধিকাৰী হৈ প্ৰয়োজনীয় নিৰ্মাণ সামগ্ৰীৰ চাহিদা আৰু যোগানৰ কথা গুৰুত্বসহকাৰে নাভাবি ইয়াৰ সপ্তৰথ মন্দিৰটোৰ কল্পনাৰ লগে লগে এই মন্দিৰ হিন্দু ধৰ্মীয় পৰম্পৰাৰ সকলোখিনি প্ৰধান দেৱ-দেৱীৰ মূৰ্ত্তিৰে অলঙ্কৰণ কৰাৰ বাবে আগবাঢ়িল। যথাৰ্থত এই মূৰ্ত্তিখিনিৰ গাত এচাম বিশেষভাৱে কৌশলী আৰু প্ৰতিমা লক্ষণত অভিজ্ঞ শিল্পীৰ প্ৰতিভা ফুটি উঠিছে। অথচ নিকৃষ্ট শিলৰ ব্যৱহাৰ এনে ভাস্কৰৰ বাবে অবাঞ্চিত যদিও নিশ্চয় স্থানীয় ভাৱে এনে সামগ্ৰী নোপোৱাৰ বাবে এনে শিল ব্যৱহাৰ কৰিলে। হয়তো এটা বিতোপন মন্দিৰ অনতিপলমে গঢ়াৰ অত্যুৎসাহৰ বাবে পৃষ্ঠপোষকজনে খনিকৰসকলক সহজ লব্ধ স্থানীয় অনুপযুক্ত শিলকেই কামত আগবঢ়াৰ বাবে বাধ্যত পেলালে।

মালিনীথানত যক্ষ, বিদ্যাধৰ, অপ্সৰা, গজব্যাল, কীৰ্ত্তিমুখ, শৃঙ্গাৰ ভঙ্গীৰ মূৰ্ত্তি আৰু এক সংখ্যক দেৱ-দেৱীৰ মূৰ্ত্তি পোহৰলৈ আহিছে। এই প্ৰতিটো সৃষ্টিৰে গাত প্ৰয়োজন অনুসৰি সংযোজিত শাৰীৰিক গঠন, ভঙ্গীমা, শীৰস্ত্ৰান, অলঙ্কাৰ, পোচাক আদিত সমসাময়িক ৰুচি আৰু পূৰঠ অভিব্যক্তি ফুটি উঠিছে। ইয়াত থকা দেৱ-দেৱীৰ মূৰ্ত্তিৰ ভিতৰত সূৰ্য্য, দুৰ্গা, শিৱ, গণেশ আৰু বিষ্ণুৰ মূৰ্ত্তিয়ে এই মন্দিৰ 'পঞ্চায়তন' অৰ্থাৎ ভাৰতীয় পৰম্পৰাৰ পাঁচজন বিশেষ দেৱতাৰে প্ৰতিষ্ঠিত মন্দিৰ বুলি ভাবিবলৈ উৎসাহ যোগায় আৰু ইয়াত থকা বৃহৎ নন্দীৰ ভাস্কৰ্য্যই এই পঞ্চায়তন মন্দিৰৰ প্ৰধান দেৱতা শিৱ আছিল বুলি ধাৰণা দিয়ে। মালিনীথানৰ এচাম ডাঙৰ মূৰ্ত্তিয়ে মানুহক সহজে আকৰ্ষণ কৰে। এই মূৰ্ত্তিখিনিৰ ভিতৰত ঐৰাৱত আৰোহী ইন্দ্ৰ, ময়ুৰত উঠি থকা কাৰ্তিক, ঘোঁৰাৰ ৰথত সূৰ্য্য, এন্দুৰৰ বাহনেৰে গণেশ আৰু নন্দীৰ মূৰ্ত্তিসমূহ বিশেষ উল্লেখযোগ্য। ইয়াত আৱিস্কৃত এক শ্ৰেণীৰ আবক্ষ অপ্সৰাৰ মূৰ্ত্তিৰ ৰূপে নুমলীগড়ৰ দেওপৰ্ব্বতৰ ভগ্নাৱশেষৰ মাজত থকা এক শৈলীৰ ভাস্কৰ্য্যৰ অনুকৰণৰ কথা দাঙি ধৰে। দ্বাদশ শতিকাত নিৰ্মিত বুলি ধাৰণা কৰা দেওপৰ্ব্বতৰ প্ৰভাৱ মালিনীথানৰ ভাস্কৰ্য্যত পৰাটো এই মিলে প্ৰতীয়মান কৰে। হয়তো ধনশিৰীৰ পাৰৰ খনিকৰসকলেই চুতীয়া ৰজাসকলৰ পৃষ্ঠপোষকতাত বহু শতিকা জুৰি চলি অহা কামৰূপী ভাস্কৰ্য্যৰ পৰম্পৰাৰ অনুকৰণত মালিনীথানৰ ভাস্কৰ্য্যসমূহ সৃষ্টি কৰিছিল।

সোৱণশিৰীৰ পূবলৈ, ব্ৰহ্মপুত্ৰৰ উত্তৰৰ নদীঘাই অঞ্চলটোৰ ঠায়ে ঠায়ে কেতবোৰ ভাস্কৰ্য্য চকুত পৰে। ঢকুৱাখনাৰপৰা পাঁচ কিলোমিটাৰ আঁতৰত থকা হাৰ্হি দেৱালয়ৰ মূৰ্ত্তিৰ থূপটোত এনে এচাম মূৰ্ত্তি অ'ৰ ত'ৰপৰা আনি থূপাই ৰখা যেন লাগে। এই মূৰ্ত্তিবোৰৰ গাত সময়ৰ চাপ কিছু পৰিমাণে অনুভূত হয় বাবে ইয়াৰ এচাম সময়ৰ মাপেৰে চুতীয়াৰ অৱিহণা হ'ব পাৰে। ইয়াত ধাতু আৰু শিল দুয়োবিধৰ মূৰ্ত্তি আছে। ইয়াৰে



কেতবোৰ স্পষ্টভাৱে ১২-১৩ শতিকাৰ হ'ব আৰু এচাম পৰৱৰ্তী সময়ৰ। ইয়াত থকা কেইটামান মূৰ্ত্তিৰ জোখ ৯ ছেঃমিঃ আৰু আটাইতকৈ ডাঙৰ দশভূজা দুৰ্গাৰ মূৰ্ত্তিজনাৰ উচ্চতা ৬১ ছেঃমিঃ। ইয়াত থকা বিষ্ণু, সৰস্বতী, দুৰ্গা, কালী আৰু কেইটামান দেৱ-দেৱীৰ মূৰ্ত্তিয়ে এইখন শিৱ-শক্তি দেৱালয় আছিল বুলিও প্ৰমাণ কৰাত ইন্ধন যোগাইছে। কিন্তু বৰ পৰিতাপৰ বিষয় যে এই মূৰ্ত্তিখিনিৰ এটা গৱেষণামূলক অধ্যয়ন আজিকোপতি হোৱা নাই আৰু চুতীয়া ভাস্কৰ্য্যৰ লগত থাকিবপৰা ইয়াৰ সম্পৰ্কৰ কথা ফঁহিয়াই চাবলৈ চেষ্টাও কৰা হোৱা নাই।

জোনাইৰপৰা ৰাষ্ট্ৰীয় পথেৰে ছয় কিলোমিটাৰ পশ্চিমলৈ আহি উত্তৰৰ আওহতীয়া ঠাই এডোখৰত এটা বৃহৎ অঞ্চল জুৰি অতীতৰ ভালেমান স্বাক্ষৰ দেখা যায়। এই অঞ্চলৰ মধ্যৱৰ্ত্তী হৈ ৰাজগড় নামৰ এটা দুৰ্গ সদৃশ প্ৰাচীৰ পৰিবেষ্টিত ঠাই আছে, যাৰ মাজেৰে দেবীং নামৰ বাৰিষা বলিয়া হোৱা আৰু খৰালি নিস্প্ৰভ হৈ থকা নদীখন বৈ আহিছে। প্ৰায় ১৫ মিটাৰ উচ্চতাৰ প্ৰাচীৰেৰে আগুৰা এই দুৰ্গৰ সোঁ মাজত এটা ইটাৰ সৌধৰ ভগ্নাৱশেষ গভীৰ জংঘলে ঢাকি ৰাখিছে। এই দুৰ্গৰ প্ৰায় এক কিলোমিটাৰ উত্তৰ, পশ্চিম আৰু দক্ষিণত একোটা শিল-ইটাৰ অৱশেষ কথমপি বৰ্তি আছে। ইয়াৰে দক্ষিণৰ থূপটোত থকা শিলৰ এক স্থাপত্যাংশ ইতিমধ্যে এচাম পমুৱাই মন্দিৰ প্ৰতিষ্ঠাৰ বাবে চেদেলি-ভেদেলি কৰি পেলাইছে। ইয়াত পূৰ্ণ কলশ (কলহ) খোদিত দুৱাৰৰ গৰিলাৰ দুয়ো কাষে সিংহৰ প্ৰতিচ্ছবি আৰু দ্বাৰপালৰ মূৰ্ত্তি থকা দুৱাৰৰ থিয় চৌকাঠ দেখা গৈছে। কেতবোৰ শিলাখণ্ডত নক্সা, অলঙ্কৰণ আদি ক্ষয়িষ্ণু হৈছে। এই সমলবোৰ শৈলীৰ বিচাৰেৰে কমপক্ষেও ১৩-১৪ শতিকাৰ হ'ব। যিহেতু সেই সময়ত এই অঞ্চল চুতীয়া ৰাজ্যৰ অধীনত আছিল, এতেকে এই মন্দিৰৰ অৱশেষ তথা ওপৰত বৰ্ণোৱা দুৰ্গ আৰু স্থাপত্যাংশবোৰ চুতীয়া ৰজাসকলৰে অৱদান হ'ব লাগিব। হয়তো এই অঞ্চলতে প্ৰত্নতাত্ত্বিক খননকাৰ্যৰ মাজেৰে অনুসন্ধান চলালে এই কথা স্পষ্ট হৈ পৰিব।

চুতীয়া ৰাজত্বত বিকাশ লাভ কৰা ভাস্কৰ্য্যৰ এটা সন্দেহাতীত পৰ্যায় কুণ্ডিল নগৰৰ মৃন্ময় ভাস্কৰ্য্যখিনিত ৰৈ গৈছে। ভাৰতীয় ভাস্কৰ্য্যৰ বিকাশ ক্ৰম আলোচনা কৰিলে দেখা যায় যে উত্তৰ ভাৰতত গুপ্ত ৰজাসকলে চতুৰ্থ শতিকাত আৰম্ভ কৰা ধাৰাটোৰেই ক্ৰম বিকাশৰ মাজেৰে দ্বাদশ শতিকালৈকে প্ৰসাৰিত হৈছিল। ইয়াৰ পিচত, পশ্চিমৰপৰা অহা তুৰ্কীসকলে একেবাৰে ভিন্ন শৈলীৰ স্থাপত্য-ভাস্কৰ্য্য এটা আমদানী কৰিছিল। ইতিমধ্যে ভাৰতীয় কলাৰ আধাৰত দক্ষিণ-পূব এচিয়াত গঢ়ি উঠা বাস্তুকলাৰ এটা প্ৰভাৱেও উভতি আহি ব্ৰহ্মপুত্ৰ উপত্যকাত মিলিত হৈ এক নতুন পৰ্যায় গঢ়াৰ ফালে অগ্ৰসৰ হৈছিল। ফলত পূৰ্ব্বাপৰ ভাৰতীয় পৰম্পৰাৰ বিষয়-বস্তু অপৰিৱৰ্তিত হৈ থকা স্বত্বেও এই সময়ত অসমত ভাস্কৰ্য্য নিৰ্মাণত এক নতুন শৈলী গঢ় ল'বলৈ আৰম্ভ কৰে, যি ক্ৰমপৰিৱৰ্ত্তনৰ মাজেৰে এক শেষ মধ্যযুগীয় নতুন শৈলীৰ সৃষ্টি কৰে। কুণ্ডিল নগৰৰ

মৃন্ময় ভাস্কৰ্য্যত এই ক্ৰম বৰ্দ্ধমান পৰিবৰ্ত্তনৰ এটা বিশেষ পৰ্যায় প্ৰতিফলিত হৈছে।

প্ৰাচ্যবিদ্ ব্লকে ১৯০৫ চনত কুণ্ডিল নগৰ ভ্ৰমণ কৰোঁতে ইয়াৰ মন্দিৰটোৰ চৌপাশত থকা ইটাৰ গড়ৰ ভিতৰৰ ফালৰ বেৰত এশাৰী পোৰামাটিৰ মূৰ্ত্তি দেখা পাইছিল। এই সময়ত গভীৰ জংঘলৰ মাজত ডুব গৈ থকা এই গড়ৰ কাষত থূপ খোৱা জাবৰ আৰু মাটি গছৰ ডালেৰে তৈয়াৰ কৰা চিপ্ৰাঙেৰে আঁতৰাই পণ্ডিতজনে মুঠ ১৬টা মূৰ্ত্তি পোহৰলৈ আনিছিল যাৰ ভিতৰত ৪টা বেৰৰপৰা খহি পৰি জাবৰৰ তলত পোট খাই থকাৰপৰা উদ্ধাৰ কৰিছিল। ব্লকৰ বিবৰণত এই ১৬টা মূৰ্ত্তি এনেদৰে বৰ্ণনা কৰিছে[১৯] -

১। নৃত্যৰত অৱস্থাত এজন দাড়ি থকা মানুহ। তেওঁৰ সোঁ হাতত যাঠি, বাওঁ হাতেৰে এটা অস্পষ্ট বস্তু দাঙি ধৰিছে।
২। এজন দৌৰি থকা, চাপৰ আকাৰৰ টুপী পিন্ধা দাড়ি নথকা সৈনিক যাৰ সোঁ হাতত এদাল লাঠি আৰু বাওঁফালে ককালৰপৰা এখন তৰোৱাল ওলমি আছে।
৩। বাওঁ হাত ককালত থোৱাৰ লগতে এডাল মাৰি আৰু সোঁ হাতেৰে একোটা বাদ্যযন্ত্ৰ ওপৰলৈ দাঙি আৰু চকু বহলকৈ মেলি থকা এহাল নৃত্যৰত পুৰুষ। তললৈ নামি যোৱা চুলিবোৰ ক্ৰমে পাক লৈছে।
৪। দোজোপা গছৰ মাজত থকা দুটা ময়ুৰে এটাই আনটোৰ গাত পাক লৈছে।
৫। এজোপা গছৰ দাঁতিত পিছ ভৰিৰ ওপৰত থিয় হৈ আগ ভৰি গছৰ ফালে আগুৱাই জিভা মেলি থকা এটা বাঘ বা সিংহ। ইয়াৰ নেজৰ চুলিবোৰ পাঁচভাগ হৈ ওলমি আছে।
৬। জীন লগোৱা এটা সতেজ ঘোঁৰা।
৭। দুটা অসমান ব্যাসৰ এক-কেন্দ্ৰিক বৃত্ত। দুই বৃত্তৰ মাজৰ ঠাইত এশাৰী বুটা বছা আছে। বৃত্তৰ কেন্দ্ৰত এদাল ৰচি কেইবাটাও টৌৰ দৰে ভাজ কৰি স্থাপন কৰিছে।
৮। পাঁচখিলা জোঙা-দীঘল পাতেৰে এজোপা গছ।
৯। দুটা বৰ্গক্ষেত্ৰ এটা কেন্দ্ৰত সামানুপাতিকভাৱে সজাই এটা তৰাৰ সৃষ্টি কৰা হৈছে।
১০। সৰু-বৰ আকাৰৰ এথূপ ফুল।
১১। এটা পূৰ্ণ বিকশিত পদুম ফুল, তাৰ পাহিবোৰৰ মাজেৰে মণিৰ মালা ওলমি আছে।
১২। এটা কনুৱা চৰাই ঠোঁটেৰে ধৰি নামি অহা অৱস্থাত এটা শেন চৰাই।
১৩। বাওঁ হাত ককালত আৰু সোঁহাত ওপৰলৈ দাঙি থকা এজন নৃত্যৰত শিল্পী।
১৪। পাঁচ ভাগত খণ্ডিত এটা কুকুৰা চৰাই।
১৫। দুই খণ্ডত বিভক্ত এটা অচিনাকি চৰাই।
১৬। পদুম ফুলৰ আকাৰৰ দুটা বৃত্তৰে গঠিত অলঙ্কাৰ।

ওপৰত উল্লেখ কৰা হৈছে যে কুণ্ডিল নগৰৰ তাম্ৰেশ্বৰী মন্দিৰ ভালেখিনি প্ৰাচীন হ'লেও ইয়াৰ চৌপাশে থকা গড়টোৰ মূৰ্ত্তিবোৰ ইয়াৰ গাত থকা শিলালিপি অনুসৰি

[১৯] **SBAA**, pp.9, 10



১৩৬৪ শক অৰ্থাৎ ১৪৪২ চনত নিৰ্মাণ হৈছিল। এই গড়ৰ নিৰ্মাতাৰ নাম মুক্তাধৰ্মনাৰায়ণ বুলি উল্লেখ আছে আৰু এই নাৰায়ণ উপাধি চুতীয়াৰ সকলো ৰজাই ব্যৱহাৰ কৰালৈ চাই এওঁ চুতীয়া ৰাজ বংশৰে এজন ৰজা হোৱাটো অনুমেয়। সি যি কি নহওক, এই স্থানৰ পোৰামাটিৰ মূৰ্ত্তিখিনিয়ে পঞ্চদশ শতিকাত সদিয়া অঞ্চলত চুতীয়া ৰজাসকলৰ দিনৰ ভাস্কৰ্য্যই লাভ কৰা বাস্তুকলাৰ ৰূপ আৰু মান প্ৰতিফলিত কৰিছে। এই সৃষ্টিৰ এটা মন কৰিবলগীয়া কথা হ'ল ইয়াত ফুটি উঠা গতিশীলতা, যিয়ে মূৰ্ত্তিবোৰত এক বিশেষ সজীবতা দিছে। অৱশ্যে মূৰ্ত্তিখিনিৰ সামগ্ৰিক ৰূপত ভালকৈ মনোনিবেশ কৰিলে ইয়াত ইছলামীয়, ভাৰতীয় আৰু কিছু পৰিমাণে দক্ষিণ-পূব এচিয়াৰ প্ৰভাব পৰিলক্ষিত হয়। যিহেতু কলাৰ লক্ষণেই হ'ল সুন্দৰৰ অন্বেষণ, এতেকে ই সদায় আন কলাৰ শ্ৰেষ্ঠখিনি নিজ অভিৰুচি অনুসৰি গ্ৰহণ কৰি প্ৰসাৰ লাভ কৰে। এতেকে চুতীয়াসকলৰ দিনৰ ভাস্কৰ্যত ভিন্নসুৰী কলাৰ প্ৰভাৱ দেখা যায়, আৰু সিয়ে ইয়াক এটা নিজা শৈলীৰ সৃষ্টিৰ ফালে আগুৱাই নিয়াত সহায় কৰিছে। কিন্তু এই সৃষ্টিৰ পৰৱৰ্ত্তী সময়ত এই শৈলীয়ে এটা স্বকীয় স্থায়ী ৰূপ লৈছিল বুলি ভাবিলেও তাৰ চিন আমাৰ অধ্যয়নৰ বাবে বৈ নগ'ল।

চুতীয়া ৰাজত্বৰ সময়ত ধাতুৰ ব্যৱহাৰো নিশ্চয় হৈছিল। কিন্তু এই সৃষ্টিৰ স্বাক্ষৰবোৰ আহোমৰ দিনৰ অৱশিষ্টবোৰৰ লগত একাকাৰ হৈ পৰাত ইয়াৰ আছুতীয়া অধ্যয়ন এতিয়াও হ'বলৈ বাকী। তথাপি লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰত থকা চুতীয়া ৰজাৰ ঘন্টা, কেঁকোৰা দোলাৰ অংশ আদিত এই সৃষ্টিৰ উচ্চ মান প্ৰদৰ্শিত হৈছে।

**মোখনি ঃ** চুতীয়া ৰাজ্যৰ উথান-পতন আৰু বিস্তৃতিৰ কথাবোৰ জুকিয়াবলৈ আমাৰ হাতত পুথি-পাজি, বুৰঞ্জী, প্ৰত্নতাত্ত্বিক লেখা আদি কিছু পৰিমাণে আছে, কিন্তু এই ৰাজ্যৰ মাজত এই ৰজাচামৰ পৃষ্ঠপোষকতাত সৃষ্টি হৈ বৰ্ত্তি থকা সমলবোৰৰ গাত কোনো প্ৰত্যক্ষ প্ৰমাণ নথকাৰ বাবে এই সমলবোৰৰ নিশ্চিতভাৱে চুতীয়াসকলৰ বুলি কোৱা টান। আমি ওপৰত ব্যাখ্যা কৰা সমলবোৰ এটা দুৰ্বল দিশ হ'ল বেছিভাগৰে সময়সূচক ইঙ্গিত তথা পৃষ্ঠপোষকতাৰ প্ৰত্যক্ষ প্ৰমাণ নাই। চুতীয়া ৰাজত্বৰ স্থাপত্য, ভাস্কৰ্য্য আদি বাস্তুকলাৰ অন্বেষণৰ বাবে তথা সেইবোৰৰ ওপৰত এখন পূৰ্ণাঙ্গ ইতিহাস ৰচনাৰ বাবে পোন প্ৰথমে এই ৰাজত্বৰ প্ৰভাৱত পৰা অঞ্চলসমূহত জৰীপ, পঞ্জীয়ন, প্ৰত্নতাত্ত্বিক খননকাৰ্য আৰু গৱেষণা অত্যন্ত অপৰিহাৰ্য। অৱশ্যে অৰুণাচল প্ৰদেশৰ অন্তৰ্গত দুই এক ঠাইত সেই ৰাজ্যৰ প্ৰত্নতাত্ত্বিক বিভাগে খনন কাৰ্য চলাইছিল যদিও ঐতিহাসিক দৃষ্টিকোণৰ পৰা সেই খনন বিশ্লেষণ নকৰাৰ বাবে ই চুতীয়াসকলৰ সাম্ভাব্য সৃষ্টি বুলি ক'তো উল্লেখ নাই। এইখিনিতে উল্লেখযোগ্য যে যিসকল চৰকাৰী বিষয়-ববীয়াই এই খননবোৰৰ পৰিচালনা কৰিছিল তেওঁলোকৰ অসমৰ ঐতিহাসিক দিশটোৰ লগত সু-পৰিচয় নথকাৰ বাবে এই খননৰ ফলাফলবোৰক ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঐতিহাসিক ঘটনাৱলীৰ লগত সমন্বয় ঘটোৱাত ব্যৰ্থ হোৱা যেন লাগে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে চুতীয়াৰ সৃষ্টিৰ এখন পূৰ্ণাঙ্গ ইতিহাস ৰচনাৰ সম্ভাৱনা থকা স্বত্বেও এই সমলবোৰৰ যথোপযুক্ত উদ্ধাৰ আৰু জৰীপৰ কাম এতিয়ালৈকে হোৱা নাই। সেইবাবেই এই অধ্যয়াত প্ৰত্নতাত্ত্বিক সম্পদবোৰৰ ভৌগোলিক অৱস্থান, সময়সীমা আৰু শৈলীৰ বিচাৰেৰে চুতীয়া অৱদান বুলি প্ৰমাণিত হ'লেও সেইবোৰৰ অধিক দৃঢ়তাৰে ডাঙি ধৰিবৰ বাবে তাম্ৰেশ্বৰী মন্দিৰৰ শিলৰ ফলিৰ দৰে ঠাইতে থকা তথ্যৰ প্ৰয়োজন আছে। তথাপি এতিয়ালৈকে পোহৰলৈ অহা আৰু চুতীয়াৰ সৃষ্টি বুলি অনুমান কৰা স্বাক্ষৰবোৰৰ ভৌগোলিক স্থিতি, নিৰ্মাণ শৈলী, কাৰিকৰী আৰু বিশেষকৈ নিৰ্মাণৰ সাম্ভাব্য সময়ৰ বিচাৰেৰে এইবোৰ চুতীয়া অৰিহণাৰ বাদে আনৰ হোৱাৰ যুক্তি নাই। যিহেতু একোটা শক্তিশালী ৰাজশক্তিয়েহে সহজে প্ৰাপ্ত প্ৰযুক্তিৰ মাজেৰে মালিনীথান বা প্ৰতিমা নগৰৰ দৰে সুবৃহৎ আৰু কাৰিকৰীভাৱে সু-পৰিকল্পিত আৰু সুৰুচি সম্পন্ন একোটা স্থাপত্য কাৰ্যত ৰূপায়িত কৰাটো সম্ভৱ, এই সময়ছোৱাত সজীৱ হৈ উঠা চুতীয়া ৰাজত্বৰ মাজতহে এনে এক সুস্থ-সুস্থিৰ স্থাপত্য-ভাস্কৰ্য্য সৃষ্টি হোৱাটো আশা কৰিব পাৰি। চুতীয়া ৰজা সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণৰ তাম্ৰ শাসন দুখনে চুতীয়া ৰাজ্যত চলা ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰাদুৰ্ভাৱৰ কথা প্ৰকট কৰিছে। এনে স্বাক্ষৰৰ লগত প্ৰত্নতাত্ত্বিক সম্পদবোৰ জড়িত কৰিব পাৰিলে অধ্যয়ন বেছি নিৰ্ভৰযোগ্য হৈ পৰিব। আমাৰ বিশ্বাস অদূৰ ভৱিষ্যতে সোৱণশিৰি-কুণ্ডিলৰ অববাহিকাত এক বিস্তৃত উদ্‌ঘাটন অভিযান আৰম্ভ হ'ব আৰু ই চুতীয়া ৰাজত্বৰ সোণালী সময়ৰ এখন বহল ইতিহাস ৰচনা কৰাত ইন্ধন যোগাব।

# চুতীয়া ৰাজ্যৰ অন্তৰ্গত পৱিত্ৰ স্থানসমূহ

## পৰশুৰামকুণ্ড

উত্তৰ-পূব সীমান্তত অৱস্থিত পৰশুৰামকুণ্ড প্ৰসিদ্ধ তীৰ্থস্থান। ইয়াৰ ঐতিহ্য অতি প্ৰাচীন। **কালিকা পুৰাণ, ব্ৰহ্মপুৰাণ, বিষ্ণুপুৰাণ** আদিত ইয়াৰ উৎপত্তিৰ কাহিনী বৰ্ণনা কৰা হৈছে। চুতীয়া ৰজাসকলে এই অঞ্চলত ৰাজত্ব কৰাৰ সময়ত চুতীয়া ৰজা ৰত্নধ্বজপালে গৌড়ৰ ৰজাৰ লগত বন্ধুত্ব স্থাপন কৰি গঙ্গা আৰু পৰশুৰামকুণ্ডৰ জল সলনা-সলনি কৰিছিল বুলি উল্লেখ পোৱা যায়।[১] ১৫২৪ খ্ৰীঃত চুতীয়া ৰাজ্য আহোমসকলৰ দখললৈ যোৱাত এই পূণ্যতীৰ্থ আহোমসকলৰ হাতলৈ যায়। ব্ৰিটিছৰ দিনত ই উত্তৰ-পূব সীমান্ত অঞ্চল (The North-East Frontier Agency বা NEFA)-ৰ ভিতৰুৱা আছিল। বৰ্তমান এই পবিত্ৰ স্থান অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ অন্তৰ্গত। সদিয়াৰপৰা ইয়াৰ দূৰত্ব প্ৰায় ৮১ কিঃমিঃ।

পৰশুৰামকুণ্ড বা ব্ৰহ্মকুণ্ডৰ কাহিনী পুৰাণসমূহত বৰ্ণিত হৈছে। এই কাহিনীমতে, কৈলাসৰ ওচৰৰ মদনা পৰ্বতত শান্তনু ঋষিয়ে তেওঁৰ পত্নী আমোঘাৰ সৈতে আশ্ৰম পাতি বাস কৰিছিল। এদিন শান্তনুৰ অনুপস্থিতিত ব্ৰহ্মাই আশ্ৰমত প্ৰবেশ কৰি আমোঘাৰ আলিঙ্গন প্ৰাৰ্থনা কৰিলে। কিন্তু পতিব্ৰতা আমোঘাই সেই অনুৰোধ প্ৰত্যাখান কৰাত তেওঁ ঘৰৰ সন্মুখতে ব্ৰহ্মাই বীৰ্য্য ত্যাগ কৰি অন্তৰ্ধান হ'ল। ধ্যানৰ বলেৰে এই কথা জানিব পাৰি শান্তনু ঋষিয়ে ঘৰলৈ আহি সেই বীৰ্য্য পান কৰিবলৈ পত্নীক আদেশ দিলে, কাৰণ জগতৰ হিতাৰ্থেহে ব্ৰহ্মাই তেওঁক তেনে অনুৰোধ কৰিছিল। আমোঘাই এই আদেশ মানবিলৈ অমান্তি হোৱাত শান্তনুৱে নিজেই ব্ৰহ্মাৰ বীৰ্য্য পান কৰি আমোঘাৰ গৰ্ভত স্থাপন কৰিলে। কালক্ৰমত তেওঁৰ জলৰূপী এটি সন্তানৰ জন্ম হ'ল। ব্ৰহ্মাৰ পুত্ৰ হোৱাৰ বাবে তেওঁৰ নাম হ'ল ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰই পৰ্বতত এটা হ্ৰদ সৃষ্টি কৰি তাৰ মাজত সোমাই থাকিল।[২]

ব্ৰহ্মকুণ্ডৰ পৌৰাণিক কাহিনী ইমানতে অন্ত পৰা নাই। কিংবদন্তি অনুসৰি পৰশুৰামৰ পিতৃ যমদগ্নিয়ে স্নান কৰিবৰ অৰ্থে পানী আনিবলৈ পত্নী ৰেণুকাক গঙ্গালৈ পঠাইছিল। সেই সময়ত চিত্ৰৰথে কামিনীসকলৰ সৈতে গঙ্গাত জলকেলি কৰি আছিল।

---

[১] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৬

[২] **পবিত্ৰ অসম**, পৃঃ ১-২ ; A.K. Dutta, **The Brahmaputra**, pp.6ff.

মিথিলা আৰু কনৌজৰপৰা ব্ৰাহ্মণ আনি ৰাজ্যত স্থাপিত কৰাৰ এই নীতি অসমত সোতৰ শতিকা পৰ্যন্ত চলি আছিল।

ব্ৰাহ্মণসকলে ব্ৰাহ্মণ্য ধৰ্মৰ (আৰ্য) সোঁত অসমতো বোৱাইছিল। তেওঁলোকে ঠাই আৰু নদীবোৰৰ নতুনকৈ নামকৰণ কৰিছিল আৰু অনেক ক্ষেত্ৰত তাৰ লগত একো একোটা কাহিনী জড়িত কৰিছিল। তেওঁলোকে পুৰণি অসমৰ নাম দিছিল প্ৰাগ্‌জ্যোতিষ। আগতে উল্লেখ কৰি অহা হৈছে যে বাণীকান্ত কাকতিৰ মতে **প্ৰাগজ্যোতিষ** অষ্ট্ৰিক শব্দ **পাগৰ-জো-তিক্** (পাহাৰীয়া ঠাই)ৰ আৰ্যীকৃত ৰূপ। ব্ৰহ্মাই ইয়াতে জ্যোতিষ চৰ্চা কৰিছিল বুলি কোৱা হয়। পিছলৈ দেশখনৰ নাম হয় কামৰূপ। এইটো নামৰ লগত শিৱ-পাৰ্বতী আৰু কামদেৱ-ৰতিৰ কাহিনী জড়িত হৈ আছে। লুইত বা লোহিতক নামকৰণ কৰিছিল লৌহিত্য বুলি। পিছত ইয়াৰ নাম দিছিল ব্ৰহ্মপুত্ৰ আৰু সেই নামৰ লগত ৰজিতা খোৱাকৈ এটা কাহিনীও সৃষ্টি কৰিছিল। পশ্চিমৰপৰা পূবলৈ আৰ্যসংস্কৃতিৰ বিস্তাৰৰ লগে লগে পূবৰ নদী আৰু ঠাইবিলাকৰ নামো তেনেকৈ সংস্কৃত কৰা হৈছিল। যথা, সোৱণশিৰি হৈছিল স্বৰ্ণশ্ৰী, দিখৌ হৈছিল দিক্ষু ইত্যাদি।

কোনো কোনো পণ্ডিতৰ মতে গঙ্গা উপত্যকাইদি অসমত প্ৰবেশ কৰাৰ উপৰি আৰ্যসকলৰ এটা দলে পূব ফালৰপৰাও এই ৰাজ্যত সোমাইছিলহি। তেওঁলোকে প্ৰথমে চীন দেশলৈ গৈ তাত বৈদিক সভ্যতা আৰু সংস্কৃতি বিস্তাৰ কৰিছিল আৰু কিছুকালৰ পিছত বৈদিক আৰু চীনা সংস্কৃতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা এটা নতুন সংস্কৃতিৰ বাহক হৈ অসমৰ পূব কোণেদি এই ৰাজ্যত প্ৰবেশ কৰিছিল।[৮৬]

**অসমত আৰ্য সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰভাৱ ঃ** আৰ্য আৰু অনাৰ্য সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰণ আৰু সমন্বয়তে গঢ়ি উঠিছিল বিশাল ভাৰতীয় সভ্যতা। কৃষি, বাণিজ্য আৰু শিল্পত অনাৰ্যসকল অতি আগবঢ়া আছিল। বিভিন্ন শস্যৰ খেতি, জলসিঞ্চন প্ৰণালী, সুৰক্ষিত দুৰ্গ আৰু সুপৰিকল্পিত নগৰ নিৰ্মাণ কৰিবলৈ আৰ্যসকলে অনাৰ্যসকলৰপৰা শিকিবলগীয়া হৈছিল। আৰ্যসকলৰ আগমণৰ লগে লগে অসমৰ থলুৱা সংস্কৃতিলৈ ধাৰাবাহিক পৰিবৰ্তন আহিছিল। ব্ৰাহ্মণসকলে অনাৰ্য মুখীয়াল তথা ৰজাসকলক হিন্দু ধৰ্মত দীক্ষিতকৰণৰ প্ৰচেষ্টা চলাইছিল। ইয়াৰ ফলত অনাৰ্য ৰজাসকলে মৰ্যদা বৃদ্ধিৰ হকে নিজকে হিন্দু বুলি পৰিচয় দিবলৈ ধৰে। আৰ্যসকলৰ ৰাজতন্ত্ৰৰ নীতি অনুসৰি অনাৰ্য ৰজাক আৰ্যীকৃত কৰিবৰ সময়ত তেওঁলোকক হিন্দুৰ কোনোবা দেৱতা অথবা মহাকাব্যৰ কোনোবা প্ৰধান চৰিত্ৰৰ লগত সংযোগ কৰা হৈছিল। নৰকাসুৰক বিষ্ণুৰে প্ৰাগ্‌জ্যোতিষত ৰজা পতা আৰু তেওঁক নানা প্ৰকাৰৰ পৰামৰ্শ দিয়া এই হিন্দুকৰণ প্ৰক্ৰিয়াৰে নমুনা। পৰৱৰ্তী কালত ব্ৰাহ্মণসকলে চুতীয়াসকলক কুবেৰৰ, কোচসকলক শিৱৰ, কছাৰীসকলক দ্বিতীয় পাণ্ডৱ ভীমৰ পুত্ৰ ঘটোৎকচৰ আৰু আহোমসকলক স্বৰ্গৰ দেৱতা ইন্দ্ৰৰ বংশধৰ

[৮৬] *ibid.*,p.98.



বুলি চিনাকি দিবলৈ কিছুমান কাহিনীৰ সৃষ্টি কৰিছিল। অনাৰ্যসকলৰ কিছুমান দেৱ-দেৱীকো আৰ্যসকলে হিন্দুধৰ্মৰ ভিতৰুৱা কৰি লৈছিল, যথা- শিৱ আছিল গুৰিতে অনাৰ্য দেৱতা, কিন্তু পিছলৈ শিৱ হৈ পৰে এজন মুখ্য আৰ্য দেৱতা। একেদৰেই অনাৰ্যসকলৰ গোসাঁনী 'কা-মেই-খা' বা 'খাম্-মাইখা'ক আৰ্যসকলে কামাখ্যা বুলি আৰ্যীকৃত কৰিছিল।[৮৭]

ব্ৰাহ্মণ্য বা আৰ্য সংস্কৃতিৰ প্ৰসাৰণৰ ফলত সমাজত আৰ্যসকলৰ বৰ্ণাশ্ৰম প্ৰথাৰো চলন্তি হ'ল। থলুৱা লোকসকল হিন্দুধৰ্মত দীক্ষিত হোৱাৰ লগে লগে তেওঁলোক শূদ্ৰ বৰ্ণৰ একোটা জাতিত পৰিণত হৈছিল। ৰাজ পৰিয়ালটোক ক্ষত্ৰিয় বুলি গণ্য কৰা হৈছিল যদিও এই মৰ্যদা প্ৰজাসাধাৰণক দিয়া হোৱা নাছিল। সংস্কৃতকৰণৰ প্ৰক্ৰিয়াত নতুনকৈ সৃষ্টি হোৱা জাতিবিলাকৰ ভিতৰত উচ্চ-নীচ স্থানৰো সৃষ্টি হৈছিল। সম্পূৰ্ণভাৱে সংস্কৃত হোৱাসকল উচ্চ আৰু আৱন্তণি পৰ্যায়ত থকাসকল নিম্নস্থানত থাকিব লগা হৈছিল। কিন্তু সেইবুলি তেওঁলোকৰ বৰ্ণৰ পৰিবৰ্তন হোৱা নাছিল। প্ৰাগ্‌জ্যোতিষ কামৰূপৰ ৰজাসকলে এই বৰ্ণাশ্ৰম ধৰ্ম পালনত বিশেষ অনুৰাগ দেখুৱাইছিল।

আৰ্যসকলে তেওঁলোকৰ লগত নিজৰ ভাষাও লৈ আহিছিল। এই ভাষা সংস্কৃত নামে জনাজাত। চতুৰ্দশ শতিকা পৰ্যন্ত সংস্কৃত ভাষাতেই অসমৰ সকলোবোৰ ফলি লিখোৱা হৈছিল। সাহিত্য চৰ্চাও হৈছিল এই ভাষাতে। বুৰঞ্জীৰ সমল পুষ্ট **কালিকা পুৰাণ**, **যোগিনীতন্ত্ৰ**, **হৰগৌৰীসম্বাদ** আদি গ্ৰন্থ সংস্কৃততে লিখা হৈছিল।

ওপৰোক্ত আলোচনাৰপৰা দেখা যায় অসম ভাৰতবৰ্ষৰ এক ক্ষুদ্ৰ সংস্কৰণ, কাৰণ, ভাৰতভূমিৰ দৰে অসমলৈও সকলো মানৱ গোষ্ঠীৰ প্ৰবজন ঘটিছে। বিভিন্ন সময়ত বিভিন্ন পথেদি বিভিন্ন মানৱগোষ্ঠীয়ে এই ৰাজ্যত প্ৰবেশ কৰি সংমিশ্ৰণ প্ৰক্ৰিয়াৰে এটা চহকী আৰু বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ সৃষ্টি কৰিছে, যিটো সংস্কৃতিক অসমীয়া সংস্কৃতি বোলা হয়। মধ্যযুগত অসমলৈ অহা মুছলমানসকল অসমীয়া সমাজত মিলি পৰিছিল আৰু ইছলামীয় সংস্কৃতিৰ কিছুমান উপাদানেৰে অসমীয়া সংস্কৃতি চহকী কৰি তোলে। ব্ৰিটিছ আমোলাত ভাৰতৰ বিভিন্ন ঠাইৰপৰা অসমলৈ জনপ্ৰব্ৰজন ঘটে আৰু কিছুসংখ্যক মানুহৰ ওপৰত খ্ৰীষ্ট ধৰ্মৰ প্ৰভাৱ পৰে। মাৰোৱাৰী, বাংলাভাষী, বিহাৰী, উড়িয়া, নেপালী, চাহ জনজাতি আদি বিভিন্ন জাতি বা সম্প্ৰদায়ৰ লোকে নিজ নিজ কৃষ্টি-সংস্কৃতি লৈ আহিছিল যদিও অসমভূমিৰ বহল কৃষ্টি-সংস্কৃতিৰ মজিয়াত দিয়া লোৱাৰ প্ৰক্ৰিয়াৰে তেওঁলোকে ইয়াৰ লগত মিলি পৰে আৰু অসমীয়া কৃষ্টি-সংস্কৃতিক এটা সুন্দৰ ৰূপত সজাই তোলে। বিভিন্ন মানৱ গোষ্ঠীৰ বাসগৃহ হ'লেও অসম তথা উত্তৰ-পূৰ্বাঞ্চল হ'ল মূলত মঙ্গোলীয়সকলৰ বাসভূমি। অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিকাশত অষ্ট্ৰিক, দ্ৰাবিড়ী, তিব্বত-বৰ্মী আৰু আৰ্য উপাদানসমূহে বহুমূলীয়া বৰঙণি আগবঢ়াই আহিছে। বিভিন্ন মানৱগোষ্ঠীক বিভিন্ন সময়ত আশ্ৰয় দিয়া অসমক আমি সেই কাৰণে এটা সংযোগী গৃহ

[৮৭] R.N. Nath, *op. cit.*, p. 95; নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, গুৱাহাটী, ১৯৮৯, পৃঃ ১৭৯।

ৰেণুকাই এই জলকেলি চাই থকা হেতু পানী অনা কিছু পলম হ'ল। এই কথা জানিব পাৰি ক্ৰোধান্বিত হৈ যমদগ্নিয়ে ৰেণুকাক হত্যা কৰিবলৈ তেওঁৰ পুত্ৰসকলক আজ্ঞা কৰিলে। প্ৰথম চাৰিওজন পুত্ৰই এই মহাপাপ কৰিবলৈ অমান্তি হোৱাত, পঞ্চম পুত্ৰ পৰশুৰামে তেওঁৰ হাতৰ পৰশুকুঠাৰেৰে মাতৃৰ মুণ্ড ছেদন কৰি পিতৃৰপৰা চিৰঞ্জীৱী হোৱাৰ বৰ লাভ কৰিলে। কিন্তু মাতৃ হত্যাৰ পাপত লিপ্ত হোৱাৰ কাৰণে তেওঁৰ হাতৰ কুঠাৰ হাততে লাগি ৰ'ল। পিতৃৰ পৰামৰ্শ ক্ৰমে তেওঁ ভাৰতৰ সকলো তীৰ্থ ভ্ৰমণ কৰিও হাতৰ কুঠাৰ এৰুৱাব নোৱাৰিলে। ক্লান্ত আৰু বিৰক্ত হৈ তেওঁ তেতিয়া তীৰ্থক অভিশাপ দিবলৈ উদ্যত হ'ল। এনেতে তেওঁলৈ এক আকাশবাণী আহিল যে পূব সীমান্তৰ পৰ্বতৰ গুহাত থকা ব্ৰহ্মকুণ্ডত স্নান কৰিলে তেওঁৰ পাপৰ পৰাচিত হ'ব। সেই অনুসৰি তেওঁ ব্ৰহ্মকুণ্ড বিচাৰি পূব দিশলৈ আহিল আৰু ব্ৰহ্মকুণ্ডত স্নান কৰাৰ পিছত তেওঁৰ হাতৰ কুঠাৰ সৰি পৰিল। পৰশুৰামৰ কুঠাৰৰ আঘাতত ব্ৰহ্মকুণ্ডত গোট খাই থকা জলৰাশি ভৈয়ামলৈ বাগৰি আহিল। এই জলধাৰাই হ'ল ব্ৰহ্মপুত্ৰ নদ।[৩] ইয়াৰ পিছৰ পৰাই ব্ৰহ্মকুণ্ডক পৰশুৰামকুণ্ড বুলিও কোৱা হয়।

চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলৰ মাজতো পৰশুকুণ্ড বিষয়ক জনশ্ৰুতিৰ প্ৰচলন আছে। এই জনশ্ৰুতি মতে পৰশুৰামে ব্ৰহ্মকুণ্ডৰ পাৰত উপস্থিত হৈ ইয়াত এজনা সিদ্ধপুৰুষক লগ পাইছিল। সেই সিদ্ধপুৰুষজনাক পৰশুৰামে তেওঁৰ দুখৰ বৃতান্ত বিৱৰি কোৱাত তেওঁ তামৰ লোটা এটাৰে ব্ৰহ্মপুত্ৰৰ পানী আনি বীজমন্ত্ৰ গাই সেই পানী পৰশুৰামৰ কুঠাৰৰ নালৰ মাজেদি ভৰাই দিয়াত তেওঁৰ হাতৰপৰা কুঠাৰখন সুলকি পৰিল। পৰম কৃতজ্ঞ হৈ পৰশুৰামে তেতিয়া সিদ্ধপুৰুষগৰাকীক প্ৰণিপাত কৰি পাপত পতিত লোকসকলৰ উদ্ধাৰৰ অৰ্থে পৱিত্ৰ জলকুণ্ডৰ জলৰাশি পাৰ কাটি বোৱাই দিবলৈ তেওঁৰ অনুমতি বিচাৰিলে। সিদ্ধপুৰুষজনাই এই প্ৰাৰ্থনা মঞ্জুৰ কৰাত পৰশুৰামে হাতৰ কুঠাৰখন তুলি লৈ ব্ৰহ্মকুণ্ডৰ এটা কোণত সৰু খাল এটা খান্দি দিবলৈ ধৰোঁতেই ভীষণ শব্দ কৰি ইয়াৰ পানী ভৈয়ামৰ বুকুলৈ তীব্ৰ বেগেৰে বৈ আহিল। সেই পানীয়েই ব্ৰহ্মপুত্ৰ নদ।[৪]

ব্ৰহ্মপুত্ৰকলৈও পৰশুৰামৰ লগত জড়িত এটা জনশ্ৰুতি আছে। পৰশুৰামে ব্ৰহ্মকুণ্ডত স্নান কৰি তেওঁৰ হাতৰ কুঠাৰখন বিচাৰি নাপাই ব্ৰহ্মপুত্ৰক অভিশাপ দিলে। তেতিয়া ব্ৰহ্মপুত্ৰ আবিৰ্ভাৱ হৈ তেওঁৰ পৰিচয় দি সেই অভিশাপৰপৰা মুক্তি বিচাৰিলে। সেই অনুসৰি পৰশুৰামে ব্ৰহ্মপুত্ৰক বৰ দিলে যে চ'ত মাহৰ অশোকাষ্টমী তিথিত ব্ৰহ্মপুত্ৰত স্নান কৰিলে গঙ্গাত স্নান কৰাৰ সমান পূণ্য হ'ব আৰু সকলো পাপ মোচন হ'ব।[৫] আন

[৩] ঐ, পৃঃ ২ ; *ibid.*, pp.8ff.

[৪] **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, পৃঃ ৩

[৫] **পৱিত্ৰ অসম**, পৃঃ ২-৩



এটি আখ্যান মতে ব্ৰহ্মকুণ্ডত স্নান কৰি পৰশুৰামে তেওঁৰ কুঠাৰখন দলিয়াই দিয়াত সেই কুঠাৰ গৈ দাক্ষিণাত্যৰ কেৰল (কেৰালা) ৰাজ্যত পৰিল।[৬] এইটো এটা জনশ্ৰুতি হ'লেও ইয়াৰ বিশ্লেষণ কৰিলে হয়তো কেৰালা ৰাজ্যৰ লগত অসমৰ সাংস্কৃতিক সম্পৰ্ক থকাৰ এটা দূৰ ইঙ্গিত ইয়াত পোৱা যাব।

১৯৫০ চনৰ প্ৰলয়কাৰী ভূমিকম্পত পৰশুৰামকুণ্ড পোত গৈছিল। কেইবছৰমানৰ পিছত চৰকাৰে এই কুণ্ড পুনৰ তীৰ্থযাত্ৰীসকলৰ বাবে উপযুক্ত কৰি তোলে। বৰ্তমান চৰকাৰে তীৰ্থযাত্ৰীসকলক তালৈ যোৱা আৰু থকা-মেলাৰ সুবিধা কৰি দিছে। পৰশুৰামকুণ্ডত স্নান কৰি দেহ-মন পৱিত্ৰ কৰাৰ মানসেৰে ভাৰতৰ বিভিন্ন ঠাইৰপৰা হাজাৰ হাজাৰ তীৰ্থযাত্ৰী তথা সন্যাসী প্ৰতিবছৰে মাঘী মেলাৰ সময়ত এই তীৰ্থস্থানলৈ আহে। প্ৰকৃততে মাঘ মাহৰ পূৰ্ণিমা তিথিটোৱেই এই তীৰ্থস্থানৰ বাবে বিশেষভাৱে পৱিত্ৰ বুলি ধৰা হয় যদিও ইয়াৰ কেইবাদিন আগৰেপৰা ঠাইখনলৈ তীৰ্থযাত্ৰীসকলৰ আগমণ আৰম্ভ হয় আৰু কেইবাদিন পিছলৈকে সেই সমাবেশ অব্যাহত থাকে। ব্ৰহ্মকুণ্ডৰ পৱিত্ৰ শীতল জলধাৰা আৰু ইয়াৰ চাৰিওফালৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যই তেওঁলোকক বিমল আনন্দ দিয়ে। যি এবাৰ এই তীৰ্থস্থান দৰ্শন কৰিছে তেওঁ ইয়াৰ অনাবিল সৌন্দৰ্য আৰু পৱিত্ৰতাৰ অনুভূতি পাহৰি যাব নোৱাৰে। শ শ সন্ন্যাসীয়ে শীতৰ প্ৰচণ্ড প্ৰকোপ নেওচা দি ঘন্টাৰ পিছত ঘন্টা ধৰি কেনেকৈ ইয়াৰ পাৰৰ শিলত বহি ধ্যানৰত হৈ থাকে সেই কথা নিজ চকুৰে নেদেখিলে কল্পনা কৰিব নোৱাৰি। এনেদৰেই চুতীয়া ৰাজ্যৰ লগতে ভাৰতীয় ঐতিহ্যৰ লগতো সাঙুৰ খাই থকা উত্তৰ-পূব সীমান্তৰ এই তীৰ্থস্থান যুগে যুগে ভক্ত আৰু পৰ্যটকসকলৰ বাবে এক আকৰ্ষণীয় কেন্দ্ৰৰূপে পৰিগণিত হৈ আহিছে।

## বুঢ়া-বুঢ়ী মন্দিৰ

এসময়ত চুতীয়া ৰাজ্যৰ ভিতৰত থকা অন্যতম পৱিত্ৰ স্থান হৈছে বুঢ়া-বুঢ়ী মন্দিৰ (থান)। এই থান সদিয়াৰপৰা প্ৰায় দহ মাইল উত্তৰ-পূবে ডিক্ৰুং আৰু দেওপানী নৈৰ সঙ্গমস্থলৰ ওচৰত থকা দেউৰী গাঁৱৰ এৰা-পলৰীয়া জনশূন্য ঠাই এখনত হাবিৰ মাজত অৱস্থিত। থানখন অতি পুৰণি। ১৮৪৬ চনত কৰ্ণেল হান্নে (Colonel Hannay) যেতিয়া এই মন্দিৰ পৰিদৰ্শন কৰিছিল তেতিয়া এই মন্দিৰটোক উজনি অসমৰ আটাইতকৈ প্ৰাচীন আৰু পৱিত্ৰ স্থানৰূপে গণ্য কৰা হৈছিল।[৭] এই থানৰপৰাই তাম্ৰেশ্বৰীকে ধৰি অন্যান্য স্থানীয় দেৱ-দেৱীসকলৰ উৎপত্তি হৈছিল বুলি জনবিশ্বাস আছে। ১৯৩৯ চনত

[৬] বিশ্বনাৰায়ণ শাস্ত্ৰী, পূৰ্বোক্ত 'পুৰোবাক', ১৯শ ছেদ।

[৭] 'Notes on Ancient Temples etc.', *loc.cit.*, p.468.

ড° ডম্বৰুধৰ দেউৰীয়ে এই মন্দিৰ পৰিদৰ্শন কৰিছিল। এই দুয়োজন ভ্ৰমণকাৰীয়ে দিয়া বুঢ়া-বুঢ়ী মন্দিৰৰ বিৱৰণ ইতিমধ্যে প্ৰথম অধ্যায়ত দিয়া হৈছে। ২০০৫ চনৰ ডিচেম্বৰ মাহত চুতীয়া বুৰঞ্জী সম্পাদনা সমিতিৰ সদস্যসকলে যেতিয়া এই মন্দিৰ পৰিৰ্দশন কৰিছিল তেতিয়া তেওঁলোকে ইয়াৰ চাৰিওফালে বহু বছৰ পুৰণি প্ৰকাণ্ড প্ৰকাণ্ড গছ-গছনিৰে ঠাই টুকুৰা বেৰি থকা দেখা পাইছিল। থানখনত এতিয়াও থকা মন্দিৰ গৃহটোত সোমাবলৈ এখন প্ৰবেশদ্বাৰ আছে। প্ৰবেশদ্বাৰৰ কাষতে এটি ব্যৱহাৰ নোহোৱাকৈ থকা জিৰণি চ'ৰা সদৃশ ঘৰ আছে। প্ৰবেশদ্বাৰখন আৰু জিৰণি ঘৰটি কিছু বছৰৰ আগতেহে গাঁৱৰ ৰাইজে সাজি লোৱা বুলি চুবুৰীয়া গাঁৱৰ লোকে সদস্যসকলক কৈছিল।

বুঢ়া-বুঢ়ী থানখনৰ মূল মন্দিৰটো আঠকোণীয়া। ইয়াৰ সন্মুখতে এটা ৰভাগৃহ আছে। মূল মন্দিৰটোৰ আগে-পিছে ডাঙৰ ডাঙৰ কিছুমান শিলৰ কাটি উলিওৱা টুকুৰা পৰি আছিল। সেইবোৰ প্ৰাচীন মন্দিৰটোৰে ধ্বংসাৱশেষ আছিল। তদুপৰি মন্দিৰটোৰ কাষতে অতীততে ব্যৱহৃত কিছুমান ইটা আৰু ইটাৰ টুকুৰাও দেখা গৈছিল।

বুঢ়া-বুঢ়ী মন্দিৰৰ চৌহদৰ ভিতৰতে বলিয়াবাবা আৰু তাম্ৰেশ্বৰীৰ মন্দিৰ (আচলটো নহয়) নামে দুটা সৰু সৰু মন্দিৰ অৱস্থিত। এই মন্দিৰকেইটাতো পূজা কৰা হয়। ওচৰতে থকা শিৱিৰাম দেউৰী নামৰ পূজাৰীজনৰপৰা জানিবপৰা মতে বলিয়াবাবা আৰু তাম্ৰেশ্বৰী দুয়ো ককাই-ভনী আছিল; অৰ্থাৎ, কিংবদন্তিৰ বলিয়াবাবা আৰু তাম্ৰেশ্বৰীৰ সাধুটোকেই তেওঁ দোহাৰিছিল (এই কিংবদন্তি পিছলৈ বৰ্ণনা কৰা হৈছে)।

বুঢ়া-বুঢ়ী থানৰ মন্দিৰকেইটাৰ দুৱাৰত তলা লগোৱা আছিল বাবে তাৰ ভিতৰত কি আছিল দেখা পোৱা নগ'ল। পূজাৰীজনৰপৰা জানিবপৰা মতে থানখনত বলি দিয়া নিৰ্দিষ্ট দিনকেইটাতহে দুৱাৰকেইখন খোলা হয়। তদুপৰি প্ৰতি তিনিবছৰৰ মূৰে মূৰে আহাৰ মাহৰ প্ৰথম বুধবাৰে ম'হৰ বৰবলি দিয়া হয়। বৰবলি দিওঁতে কাঠৰ এখন ডাঙৰ বলিশাল তৈয়াৰ কৰি লোৱা হয়। এই শালত পূৰ্বে মানুহ বলি দিয়া হৈছিল যদিও আহোম যুগৰ শেষৰফালে সেই নিয়ম বন্ধ কৰি ম'হ বলি দিয়া নিয়ম কৰা হৈছিল। প্ৰতিবছৰে ব'হাগ, আহাৰ আৰু মাঘ মাহৰ প্ৰথম বুধবাৰে এতিয়াও হাঁহ, পাৰ, ছাগলী আদি বলি দিয়া হয়। বলি দিয়াৰ উদ্দেশ্যে সজা এখন কাঠৰ উৱঁলি যোৱা বলিশাল ৰভাঘৰৰ সন্মুখতে দেখা পোৱা গৈছিল। পূজাৰীজনৰপৰা জানিবপৰা মতে টংলতি নামৰ এবিধ গছৰ পাত এই থানৰ পূজাকৰ্মত অপৰিহাৰ্য সামগ্ৰীৰূপে অতীতৰেপৰা বৰ্তমানলৈকে ব্যৱহৃত হৈ আহিছে। তেওঁৰ মতে টংলতিয়েই শতফুল, যাৰ কাৰণে সদিয়া এতিয়াও বিখ্যাত।

সমাজত বুঢ়া-বুঢ়ী থানৰ বিস্তাৰিত প্ৰভাৱ আছে। অতীতৰ দৰে বৰ্তমানো ভক্তসকলে এই মন্দিৰত পূজা কৰিলে মনৰ কামনা পূৰ্ণ হয় বুলি বিশ্বাস কৰে। তাৰ প্ৰমাণ পোৱা গৈছিল মূল মন্দিৰটোৰ দুৱাৰমুখৰ কাষতে থকা বেৰত ডিব্ৰুগড় জিলাৰ চাবুৱাৰ কদমণি গাঁৱৰ এগৰাকী মহিলাই নিজে লিখি আঁৰি থোৱা এখনি পত্ৰৰপৰা।



পত্ৰখনিত উল্লেখ থকা অনুসৰি সেই মহিলাগৰাকীয়ে মন্দিৰটোত তিনিটা টোপোলা বান্ধি দেৱীলৈ আগবঢ়াই তেওঁৰ বিবাহিত জীৱনলৈ দুৰ্গতি অনা, ঘৰৰ চাইনব'ৰ্ড আৰু গেটৰ তলা ভাঙি উপদ্ৰৱ কৰা আৰু ঘৰৰ ভিতৰৰপৰাই তেওঁৰ সোণৰ আঙুঠি চুৰ কৰা লোকসকলৰ যাতে তেওঁতকৈ বেছি দুৰ্গতি হয় সেয়া প্ৰাৰ্থনা জনোৱা হৈছে।

মন্দিৰটোৰ চৌহদৰ ভিতৰতে আন এটা বেৰা দিয়া ঘৰত কিছুমান ৰন্ধন-প্ৰকৰণৰ সামগ্ৰীও দেখা গৈছিল। পূজাৰীজনৰপৰা নিশ্চিত কৰিবপৰা গ'ল যে সেইবোৰ মাজে-সময়ে মন্দিৰত ভোজভাতৰ আয়োজন কৰোঁতে ব্যৱহাৰ কৰা হয়; অৰ্থাৎ, দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে মাজে-সময়ে ভোজ-ভাতৰো আয়োজনো কৰা হয়।

বুঢ়া-বুঢ়ী থানৰ ঐতিহ্য চুতীয়াসকলৰ সৈতে জড়িত। প্ৰথম অধ্যায়ত ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে 'চুতীয়াসকলৰ ভিতৰত জনা-বুজা, বিদ্বান আৰু শ্ৰেষ্ঠসকলেই দেউৰী নাম লৈ গোসাঁই-গোসাঁনীৰ পূজা-সেৱা চলাইছিল।'[৮] দেউৰীসকলে (১) কুণ্ডিমামা বা বুঢ়া-বুঢ়ী (শিৱ-দুৰ্গা), (২) বলিয়াবাবা (শিৱ) আৰু (৩) কেঁচাইখাঁতী বা তাম্ৰেশ্বৰী - এইসকল দেৱ-দেৱীক পূজা কৰিছিল। এইসকল দেৱ-দেৱীক কেনে পবিত্ৰভাৱেৰে আৰু আধ্যাত্মিকতাৰে পূজা কৰা হৈছিল তাৰ এক হৃদয়স্পৰ্শী বিৱৰণ চক্ৰেন শইকীয়াৰ **যোগী শিলাৰ নৌকা তোৰণ** (যোৰহাট, ২০০৩) নামৰ উপন্যাসখন পঢ়িলেই উপলব্ধি হয়।

দেউৰীসকলৰ বিশ্বাসত জগতৰ অসীম মহাশক্তিৰ প্ৰতীক, সৃষ্টি শক্তিৰ পুৰুষ-প্ৰকৃতি হ'ল কুণ্ডিমামা। কুণ্ডি পুৰুষ, মামা প্ৰকৃতি। কুণ্ডিমামাৰে অন্য নাম গিৰা-গিৰাচী বা বুঢ়া-বুঢ়ী অথবা শিৱ-শক্তি।[৯] এই পৰম পুৰুষ আৰু প্ৰকৃতি নহ'লে জগত প্ৰকাশ হ'ব নোৱাৰে।

কুণ্ডিমামাৰে বৰপুত্ৰ পিশ্বাডেমা বা বলিয়াবাবা; কন্যা হ'ল পিশ্বাছিডেমা বা বৰজীয়েক অথবা তাম্ৰেশ্বৰী। সকলো প্ৰকাৰৰ শৌৰ্য-বীৰ্য্য, ঐশ্বৰ্য-বিভূতি, দীৰ্ঘায়ু, সুস্থতা পাবৰ কাৰণে আৰু অপমৃত্যু, ভয়, ব্যাধি ৰোধ হ'বৰ অৰ্থে চুতীয়াসকলে অনাদি কালৰেপৰা শক্তিপূজা কৰি আহিছে। দেউৰীসকলৰ ডিবঙীয়া খেলে কুণ্ডিমামা, টেঙাপনীয়া খেলে বলিয়াবাবা আৰু বৰগঞা খেলে তাম্ৰেশ্বৰী মাতৃক বেলেগ বেলেগ তিনিখন দেৱালয়ত পূজা কৰে। সদিয়াৰ পাটসদিয়া নামৰ ঠাইত থকা পাটৰশালো আন এখন দেৱালয়। আন কেইখনৰ দৰে এই দেৱালয় খনতো মূৰ্ত্তি পূজা কৰা নহয়। মণিকূটৰ পবিত্ৰ স্থানত কেৱল থাপনা পাতি চন্দ্ৰতাপৰ তলত পূজা কৰা হয়। তাৰৈ সৰ্বসাধাৰণৰ প্ৰৱেশ নিষেধ। চাৰিওখন দেৱালয়ৰ পূজা-সেৱাৰ নিয়ম-প্ৰণালী, ক্ৰমপদ্ধতি একে।[১০] উল্লেখযোগ্য যে দেউৰী পূজাৰীসকলে তেওঁলোকৰ উপাস্য দেৱ-দেৱীসকলক প্ৰধান পূজা উৎসৱলৈ

---

[৮] **দেউৰী সংস্কৃতি**, পৃঃ ৫

[৯] গিৰা-গিৰাচী কছাৰীসকলৰো উপাস্য মূল দেৱ-দেৱী; **দেউৰী সংস্কৃতি**, পৃঃ ৯

[১০] **দেউৰী সংস্কৃতি**, পৃঃ১৩।

সাদিনমান থাকোঁতেই মন্ত্ৰ পাঠৰদ্বাৰা জাগৰণ আৰু আহ্বান কৰে। পূৰ্বে আটাইকেইখন দেৱালয়ৰ পুৰোহিত গোট খাই পাটৰশালত একেলগে দেৱ-দেৱীৰ জাগৰণ আৰু নিমন্ত্ৰণ কাৰ্য সম্পাদন কৰিছিল।[১১]

ব'হাগ বিহুৰ সময়ত দেৱালয়ত যি পূজা উৎসৱ অনুষ্ঠিত কৰা হয় তাত দেও নমাই আনিবৰ কাৰণে **আবৰ-ব** নাম গোৱা হয়। সেই **আবৰ-ব** নামত স্থানীয় বিশ্বাস পৰিস্ফুট হৈ উঠে -

'গোৰতে (গৌড়দেশত) গোৰোহা, হাজোতে কঁকালি
পাট সদিয়াত মূৰে কিনা,
সদায় বিৰাজে সতীৰ পবিত্ৰ
চৰণ কমল তাতে কিনা
সদিয়াৰ ৰাজ্যতে চাৰিশাল গোসাঁনী
দেউৰীয়ে সদা পূজো কিনা।'[১২]

উপাস্য দেৱ-দেৱীসকলৰ মাজত কুণ্ডিল ৰাজ্য ভাগ কৰি লোৱাৰ বিষয়ে এটি কিংবদন্তি প্ৰলিত আছে। সেই অনুসৰি আদিতে বুঢ়া-বুঢ়ীয়ে কুণ্ডিল ৰাজ্যখনৰ পশ্চিম অংশ নিজলৈ ৰাখি বাকীখিনি বৰপুত্ৰ আৰু বৰজীয়েকক ভগাই দিবলৈ মনস্থ কৰিছিল। বৰপুত্ৰক তেওঁলোকে দেৱতাৰ কাম্যভূমি কুণ্ডিলৰ শ্ৰেষ্ঠাংশ অৰ্থাৎ উত্তৰ-পূব খণ্ড তথা দিব্ৰাং নৈৰপৰা শ্ৰীলুইত আৰু চন্দনগিৰিলৈকে, আৰু লগতে ৰাজভঁৰালৰ মূল্যবান সা-সম্পত্তি আৰু পৰিচাৰকবৰ্গ দিয়াৰ বিপৰীতে বৰজীয়েকক কুণ্ডিলৰ পূব অংশ, শ্ৰীলুইতৰ দক্ষিণাংশ, জৈদাম পৰ্বতৰ পাদদেশ, তিনিমুনি ফাটলৈকে[১৩] টেঙাপানী নৈৰ নামনি অঞ্চল আৰু লগত কিছুমান নাচনীয়াৰ সেৱকিনী দিবলৈ ইচ্ছা কৰিলে। বুঢ়া-বুঢ়ীয়ে ৰাজ্য বিভাজনৰ এই পৰিকল্পনাৰ বিষয়ে কেৱল বৰপুত্ৰকহে অৱগত কৰিলে আৰু নিৰ্দিষ্ট দিনটোৰ পুৱতি নিশাতে তেওঁলোকৰ ওচৰত ৰাজ্য ভিক্ষা কৰিবলৈ বৰপুত্ৰক বুঢ়া-বুঢ়ীয়ে নিৰ্দেশ দিলে। বুঢ়া-বুঢ়ীয়ে বৰজীয়েকক এই পৰিকল্পনাৰ বিষয়ে অজ্ঞাতে ৰখোৱাৰ চেষ্টা কৰিলে, কাৰণ বৰজীয়েকেও বৰপুত্ৰক দিবলগীয়া ৰাজ্যখনকে বিচাৰিব পাৰে। পৰিকল্পনাটোৰ কথা বৰজীয়েকে কেনেবাকৈ জানিলে সকলো ওলট-পালট কৰি দিব পাৰে। কাৰণ, তেওঁ মায়া কৰিব জানিছিল। আনকি অলৌকিক শক্তিৰ বলত 'তেওঁ শাল গছ ওভোটাই ৰুব পাৰে। দাৰ নালত পোখা গজাব পাৰে। কাঠ বাঁজীক ল'ৰা দিব পাৰে। সাগৰক নগৰ আৰু নগৰক সাগৰ কৰিব পাৰে। তেওঁ সৰ্ব্বব্যাপী, জগত পালন কাৰিণী। .... তেওঁৰ

[১১] ঐ

[১২] ড° নিৰ্মলপ্ৰভা বৰদলৈ, **দেৱী**, প্ৰথম প্ৰকাশ ১৯৮৬, দ্বিতীয় প্ৰকাশ, গুৱাহাটী, ১৯৮৯, পৃঃ ২১৯ ; চক্ৰেন শইকীয়া, **যোগী শিলাৰ নৌকা তোৰণ**, যোৰহাট, ২০০৩, পৃঃ ১৫১

[১৩] ন-দিহিং নৈ, টেঙ্গাপানী নৈ আৰু লুইতৰ ত্ৰিবেণী সঙ্গমস্থলকে তিনিমুনি ফাট বুলি কোৱা হয় - **দেউৰী সংস্কৃতি**, পৃঃ ২৩



অচিন্ত্য মহিমা-বিভৱৰ তুলনা নাই।'

বৰজীয়েকে বুঢ়া-বুঢ়ী আৰু বৰপুত্ৰৰ গোপন কথোপকথন বেৰৰ আঁৰত থাকি শুনি আছিল। বুঢ়া-বুঢ়ীয়ে নভবা-নিচিন্তাকৈ বৰপুত্ৰৰ প্ৰতি কৰা অনুগ্ৰহ আৰু তেওঁৰ প্ৰতি কৰা অবিচাৰত বৰজীয়েক বৰ অসন্তুষ্ট হ'ল আৰু ৰাজ্য অৰ্পণ কৰিবলগীয়া দিনটোত যাতে যিকোনো প্ৰকাৰে বৰপুত্ৰক ৰাজ্য লাভৰপৰা বঞ্চিত কৰিব পাৰি সেই কথা চিন্তা কৰি তেওঁ গোপনে এক অভিসন্ধি কৰিলে। সি যি নহওক, ক্ৰমে এসময়ত বুঢ়া-বুঢ়ীয়ে বৰপুত্ৰক ৰাজ্য গটাই দিয়াৰ দিন পালেহি। আনহাতে বৰজীয়েকেও এই কাৰ্য নসাৎ কৰিবৰ কাৰণে সকলো আয়োজন সম্পূৰ্ণ কৰিলে। দেউৰীসকলৰ গণনা মতে সেইদিনা আছিল শাওন মাহৰ শুক্লা তৃতীয়া তিথি। বুঢ়া-বুঢ়ীক ছলনা কৰিবলৈ বৰজীয়েকে মায়াৰ বলেৰে কুকুৰা এটা সৃষ্টি কৰি ৰাতি নৌ পুৱাওঁতেই ডাক দিয়ালে। নিজ সাজ-কাপোৰ এৰি বৰপুত্ৰৰ বেশ ধৰি তেতিয়া তেওঁ বুঢ়া-বুঢ়ীৰ ওচৰলৈ গ'ল আৰু 'কুকুৰাই ডাক দিলে, ৰাতি পুৱাল' বুলি কৈ ৰাজ্য ভিক্ষা কৰিলে। বুঢ়া-বুঢ়ী সুপ্ৰসন্ন হ'ল আৰু আগৰেপৰা ঠিক কৰি থোৱা ৰাজভঁৰালৰ সকলো মূল্যবান সম্পত্তি আৰু মনোমত ৰাজ্যখন আনন্দৰে তেওঁৰ হাতত অৰ্পি দিলে। বৰজীয়েকৰ ছলাহী বুঢ়া-বুঢ়ীয়ে গম নাপালে। তেওঁৰ অভীষ্ট সিদ্ধি হ'ল আৰু জয়োল্লাসে নিজ ৰাজ্যত প্ৰবেশ কৰিলগৈ।

আনহাতে সেইদিনা দোকমোকালি পুৱাতে বৰপুত্ৰই গোপন আলোচনা মতে বুঢ়া-বুঢ়ীৰ ওচৰলৈ আহি ৰাজ্য ভিক্ষা কৰিলে। তেওঁ একাধিকবাৰ ৰাজ্য খোজাত বুঢ়া-বুঢ়ী আচৰিত হ'ল আৰু তেতিয়াহে তেওঁলোকে বৰজীয়েকৰ ছলনাৰ কথা বুজি পালে। বাতৰিটো তৎক্ষনাত ৰাষ্ট্ৰ হৈ গ'ল। বৰজীয়েকৰ এই ছলনাত বুঢ়া-বুঢ়ীয়ে বৰ বেজাৰ পালে। এই কথা জানিব পাৰি বৰপুত্ৰ খঙত জ্বলি-পকি উঠিল আৰু বৰজীয়েকৰ হাতৰপৰা ৰাজ্য ঘূৰাই আনিবলৈ পৰিচাৰকবৰ্গ লগত লৈ তেওঁ পিছে পিছে খেদি গ'ল। বৰপুত্ৰই বাটত মানুহ, গৰু, ঘোঁৰা, হাতী আদি জীৱজন্তু যাকে য'তে পালে এফালৰপৰা কাটি-মাৰি যাব ধৰিলে। প্ৰত্যেক জীৱজন্তুৰ মূৰছোৱা বুঢ়া-বুঢ়ীলৈ আগবঢ়াই থৈ বাকীছোৱা বৰপুত্ৰই নিজে খাই যাবলৈ ধৰিলে। তেজেৰে লুতুৰি-পুতুৰি হৈ তেওঁ বিকট হাস্য কৰি ধুমুহা বতাহ যোৱাৰ দৰে যাবলৈ ধৰিলে। দেউৰীসকলৰ মতে মেঘৰ গাজনি বৰপুত্ৰৰ অট্টহাস্য। বিজুলি বৰজীয়েকৰ হাঁহি আৰু কটাক্ষ। মেঘ তেওঁৰ কেশ। তেওঁৰ বলিয়ালী, বীভৎস নাভূত-নাশ্ৰুত কাণ্ড দেখি সকলোৱে প্ৰমাদ গণিলে। দেৱতাসকলে তেওঁৰ সেই ৰুদ্ৰমূৰ্তি সম্বৰণাৰ্থে বহুবাৰ চেষ্টা কৰিও বিফল হ'ল।

বৰপুত্ৰৰ এনে কাৰ্যত সৃষ্টি নাশ হোৱাৰ ভয়ত দেবতাসকল অৱশেষত বুঢ়া-বুঢ়ীৰ পৰামৰ্শ বিচাৰি তেওঁলোকৰ কাষলৈ গ'ল। তেতিয়া বুঢ়া-বুঢ়ীয়ে তেওঁলোকক আশ্বাস দি ক'লে যে উন্মত্ত বৰপুত্ৰৰ হাতত তেওঁলোকে লৌহিত্যৰ কন্যা পূৰ্ণযৌৱনা জলকুঁৱৰীক অৰ্পণ কৰিলে বৰপুত্ৰই তেওঁৰ ৰুদ্ৰমূৰ্তি সম্বৰণ কৰিব। বুঢ়া-বুঢ়ীৰ পৰামৰ্শমতে

দেবতাগণে জলকুঁৱৰীক নৈৰ ঘাটত কাপোৰ ধুই থকা অৱস্থাৰপৰা বুজাই-বঢ়াই আনি বৰপুত্ৰৰ হাতত অৰ্পণ কৰি তেওঁৰ ৰুদ্ৰমূৰ্ত্তি সম্বৰণাৰ্থে প্ৰাৰ্থনা জনালে। বৰপুত্ৰ জলকুঁৱৰীৰ দীপ্তিময়ী ৰূপলাৱণ্যত মুগ্ধ হোৱাত তেওঁৰ মন কুঁৱৰীৰ ওপৰত কেন্দ্ৰীভূত হৈ পৰিল। তেওঁ সকলো পাহৰি প্ৰকৃতিস্থ হ'ল আৰু কুঁৱৰীৰ পাণি গ্ৰহণ কৰিলে। নৱপৰিণীতা জলকুঁৱৰীক লগত লৈ তেওঁ দেৱীৰ বাসভূমি কুণ্ডিলৰ উত্তৰ-পূব খণ্ড পৰিত্যাগ কৰি স্বৰাজ্য (কুণ্ডিলৰ পূব খণ্ড) অভিমুখে যাত্ৰা কৰিলে। বৰপুত্ৰই সেই ধ্বংসাত্মক ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰাৰ পৰাই তেওঁৰ নাম হ'ল বলিয়াবাবা। পৰৱৰ্তী কালত তেৱেঁই আদি দেৱতা বুঢ়া, পৰম মঙ্গলময় দেৱাদিদেৱ হিচাপে পূজিত হ'ল।

ইতিমধ্যে লৌহিত্যই জীয়েকৰ বাতৰি পালে। দেৱতাসকলে তেওঁৰ অজ্ঞাতেই জীয়েকক বৰপুত্ৰৰ হাতত অৰ্পণ কৰাত খঙত তেওঁ জ্বলি-পকি উঠিল আৰু ফেনে-ফোটোকাৰে ওফন্দি ইকুল-সিকুল টৌৱাই তাণ্ডৱ সৃষ্টি কৰিলে। সেই তাণ্ডৱত দেৱতাসকল অতিশয় কম্পিত হ'ল আৰু তেওঁলোকে পুনৰ বুঢ়া-বুঢ়ীৰ ওচৰলৈ গৈ তেওঁক প্ৰকৃতিস্থ কৰিবৰ বাবে সহায় প্ৰাৰ্থনা কৰিলে। দেৱতাসকলৰ প্ৰাৰ্থনাত বুঢ়া-বুঢ়ীয়ে লৌহিত্যৰ সমীপলৈ গৈ তেওঁৰ প্ৰতি অনুৰোধ জনাই ক'লে -'বৰপুত্ৰৰ নিমিত্তে অনুষ্ঠিত হোৱা পূজাৰ বেদীত পূজাৰ আগভাগ তুমি পোৱাৰ পিছতহে তেওঁ পাব। জগতৰ কল্যাণ সাধনাৰ্থে প্ৰকৃতিস্থ হৈ তুমি নিজৰ গতি লোৱা। আজিৰপৰা যুগ-যুগান্তৰলৈকে তুমি পূজিত হ'লা'। বুঢ়া-বুঢ়ীৰ অনুৰোধত লৌহিত্য ক্ষান্ত হ'ল আৰু বুঢ়া-বুঢ়ীক প্ৰণাম জনাই তেওঁ সাগৰলৈ গতি কৰিলে। দেউৰীসকলৰ ভিতৰত বলিয়াবাবাৰ পূজকসকলে সেয়ে লৌহিত্যক পূজা নিদিয়াকৈ বলিয়াবাবাক পূজা দিব নোৱাৰে।

ওপৰত উল্লেখ কৰা হৈছে যে বৰপুত্ৰই নৱপৰিণীতা কুঁৱৰীৰ সৈতে স্বৰাজ্য অভিমুখে যাত্ৰা কৰিলে। এই যাত্ৰাত তেওঁ লৌহিত্যক বাট এৰি দিবলৈ প্ৰাৰ্থনা জনালে। লৌহিত্য সন্তুষ্ট হৈ তাতে ঠেক হৈ বাট এৰি দিলে। সেইফালেদি তেওঁলোক ছিৰি দি পাৰ হৈ গ'ল। ছিৰি দি যোৱাৰ পৰাই ছিৰিলুইত। বৰ্তমান সেই ঠাইডোখৰ পৰশুৰাম কুণ্ডলৈ যোৱা বাটত শ্ৰীলুইত পাৰ হোৱা মিচিমি ঘাটেই বুলি দেউৰীসকলে কয়।[১৪]

দেখা গ'ল যে উপাস্য দেৱ-দেৱীৰ মাজত কুণ্ডিল ৰাজ্য ভাগ হোৱা বিষয়ে প্ৰচলিত কিংবদন্তিটোত মহাশক্তিৰৰ মহিমা প্ৰকাশ আৰু বেলেগ বেলেগ ৰূপ ধাৰণ কৰাৰ পৰিচয় পোৱা যায়। ৰাজ্য ভাগ হোৱা কালত গিৰা-গিৰাচী (বুঢ়া-বুঢ়ী)-য়েই নিজৰ শক্তি আৰু মহিমা প্ৰকাশৰ কাৰণে ব্যষ্টিভাৱে বৰপুত্ৰৰূপে ৰুদ্ৰমূৰ্ত্তি আৰু বৰজীয়েকৰূপে মায়া ছলনাৰ অধিকাৰিনী ৰূপ ধাৰণ কৰিছে। ডম্বৰুধৰ দেউৰীৰ ভাষাত - 'স্বৰূপাৰ্থত, গিৰা-গিৰাচীৰ যি স্বতন্ত্ৰ ৰূপ তাকেই বলিয়াবাবা (পুত্ৰ) আৰু তাম্ৰেশ্বৰী মাতৃ (কন্যা) বোলা হৈছে। .... শক্তিপূজাত উপাস্য দেৱতাক দুই ভাৱত পূজা কৰা হয় - পুত্ৰ ভাৱত

[১৪] **দেউৰী সংস্কৃতি**, পৃঃ ২৪-২৫



আৰু কন্যা ভাৱত। পুত্ৰ ভাৱৰ উপাসনাই পিতৃভাৱৰ উপাসনা। তাৰেই অন্য ৰূপ হ'ল পিশ্বাডেমা (বৰপুত্ৰ) বা বলিয়াবাবা। কন্যা ভাৱৰ উপাসনাই হ'ল মাতৃ ভাৱৰ উপাসনা। তাৰেই অন্য ৰূপ হ'ল পিশ্বাছিডেমা (বৰজীয়েক) বা তাম্ৰেশ্বৰী মাতৃ'।[১৫]

## তাম্ৰেশ্বৰী মন্দিৰ

তাম্ৰেশ্বৰী মন্দিৰ চুতীয়া ৰাজ্যৰ অন্তৰ্গত অন্যতম প্ৰধান পবিত্ৰ স্থান আছিল। এই মন্দিৰ সদিয়াৰপৰা প্ৰায় ত্ৰিশ মাইল উত্তৰ-পূবে পায়াৰ জনমানৱ শূন্য নিবিড় জংঘলৰ ভিতৰত ডিক্ৰং, ডিক্ৰংপানী বা দেওপানী (হাণে চাহাবে ইয়াক দ'লপানী বা দেউলপানী বুলি লিখিছে) নৈৰ দক্ষিণ পাৰত অৱস্থিত আছিল। ড° মহেশ্বৰ নেওগৰ মতে, '**কালিকা পুৰাণত** এই সৰু নৈ খনকে দিক্কৰ নাম দি সূৰ্য আৰু শম্ভুৰ লগত মিলোৱা হৈছে - "দিক্কৰস্ত্বৰুণ ঃ প্ৰোক্তস্তথা শম্ভূশ্চ দিক্কৰঃ।" এই দিক্কৰ অঞ্চলৰ অধিষ্ঠাত্ৰী গোসাঁনীৰ নাম দিক্কৰবাসিনী। এই দিক্কৰবাসিনী থানেই পুৰণি কামৰূপৰ পূব সীমা নিৰূপিত হৈছিল ... দিক্কৰবাসিনী পীঠত দেৱীৰ দুটি ৰূপ - উগ্ৰতাৰা বা তীক্ষ্ণকান্তা আৰু মঙ্গলচণ্ডিকা বা ললিতকান্তা। কিন্তু দেৱীৰ সততে ৰূপ প্ৰথমটিহে। এই ৰূপত তেওঁ কৃষ্ণা, লম্বোদৰী আৰু একজটাযুক্তা। এওঁৰ পূজাৰ মণ্ডল ত্ৰিকোণাকাৰ। এওঁৰ আঠজন দ্বাৰপালৰ প্ৰত্যেকৰ নামৰ শেষত "অন্তক" - নৰান্তক, ত্ৰিপুৰান্তক, দেৱান্তক ইত্যাদি। দেৱীৰ মণ্ডলৰ আঠফালে এওঁলোকক সম্বোধন কৰি "বজ্ৰ-পুষ্পং স্বাহা" বুলি মন্ত্ৰ শেষ কৰি পূজা কৰিব লাগে। মন কৰিবলগীয়া, বজ্ৰযানী বৌদ্ধসকলৰ মন্ত্ৰতহে "বজ্ৰ" শব্দৰ প্ৰয়োগ প্ৰচুৰ। তীক্ষ্ণকান্তাৰ গায়ত্ৰী - "হে ভগৱত্যেকজটে ৱিদ্মহে ৱিকটদংষ্ট্ৰে ধীমহি তন্নস্তাৰে প্ৰচোদয়াৎ।" এওঁৰ পূজা কামাখ্যা পূজাৰ অনুৰূপ; কিন্তু ইমানেই বিশেষ যে তেওঁৰ পানৰ ভিতৰত মদিৰা, বলিৰ ভিতৰত নৰবলি, নৈবেদ্যৰ ভিতৰত মোদক, নাৰিকল, মঙহৰ আঞ্জা আৰু গুৰ-চেনি প্ৰিয়কৰ। .... ললিতকান্তা দেৱী ৰক্তপদ্মাসনস্থা, স্মিতবক্তা, শুভ্ৰাননা, নৱযৌৱনসম্পন্না। দুৰ্বাসহ অক্ষতহে এওঁৰ প্ৰিয়, কিন্তু ভক্তই আত্ম-হিতৰ অৰ্থে নিজৰ গাৰ তেজ দি এওঁক পূজিব পাৰে।'[১৬] দিক্কৰবাসিনী বা তীক্ষ্ণকান্তা উগ্ৰতাৰা দেৱীয়েই পিছৰ যুগত তাম্ৰেশ্বৰী, তামৰ আই বা কেঁচাইখাঁতী নামে জনাজাত হৈছিল।[১৭] তেওঁৰ মন্দিৰক তাম্ৰেশ্বৰী মন্দিৰ বা তামৰ দেওঘৰ বোলা হয়।

এই মন্দিৰটো কেৱল অসম বা ভাৰতবৰ্ষৰ বাবেই নহয়, তিব্বত আৰু চীনদেশৰ ভক্তসকলৰ বাবেও এক পবিত্ৰ স্থানৰূপে পৰিগণিত হৈছিল আৰু প্ৰতিবছৰে বিভিন্ন

[১৫] ঐ, পৃঃ১১

[১৬] **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, পৃঃ ৭৫-৭৬

[১৭] ঐ

দেশৰপৰা তীৰ্থযাত্ৰীসকলে এই মন্দিৰ দৰ্শন কৰিবলৈ আহিছিল (এই বিষয়ে পিছত আলোচনা কৰা হৈছে)। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হোৱাত সময়ে সময়ে মন্দিৰটোৰ কিছু অনিষ্ট সাধন হৈছিল। ১৯৫০ চনৰ প্ৰৱল ভূমিকম্পৰ ফলত মন্দিৰটো প্ৰায় ধ্বংসপ্ৰাপ্ত হৈছিল। ইয়াৰ পিছত ১৯৫৯ চনৰপৰা (পায়া) নদীৰ পৃষ্ঠভাগ ওপৰলৈ উঠি আহিছিল আৰু তাম্ৰেশ্বৰী (মন্দিৰ) সম্পূৰ্ণভাৱে ইকৰা-খাগৰিৰে ভৰা দুৰ্গম জলাহত সোমাই পৰিছিল।[১৮] গতিকে এই মন্দিৰটোনো কেনেকুৱা আছিল সেই বিষয়ে জানিবলৈ অতীতত মন্দিৰটো চাবলৈ যোৱা ভ্ৰমণকাৰীসকলৰ বিৱৰণেই হ'ল প্ৰধান সমল। কেপ্তেইন হেমিল্টন ভেট্চ, মেজৰ এছ. এফ. হান্নয়, টি. ব্লক, দেবলা মিত্ৰ আদিয়ে তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰি যি বিৱৰণ দিছিল সেয়া ইতিমধ্যে প্ৰথম অধ্যায়ত বিষদভাৱে বৰ্ণনা কৰি অহা হৈছে। পৰবৰ্তী কালত সদিয়াৰপৰা সাত কিঃমিঃমান পূবৰ লখিমপুৰীয়া গাঁও, ছৈখোৱা আদি ঠাইত তাম্ৰেশ্বৰী মন্দিৰৰ শাখা স্থাপিত হৈছিল।[১৯]

তাম্ৰেশ্বৰী মন্দিৰৰ নিৰ্মাণক লৈ দেউৰীসকলৰ মাজত এটি কিংবদন্তি প্ৰচলিত আছে। সেই অনুসৰি কেঁচাইখাঁতী গোসাঁনীয়ে নিজে এই তামৰ মন্দিৰটি নিৰ্মাণ কৰোৱাইছিল। এদিন গোসাঁনীয়ে বিদৰ্ভ ৰাজ্যৰ ৰজা ভীষ্মকৰ উপৰি-পুৰুষ সুবাহু-ছোটান নামৰ প্ৰখ্যাত ৰজাজনক নাৰীৰূপে দেখা দি এটা পৰীক্ষাত অৱতীৰ্ণ কৰালে। যদি ৰজাই একে ৰাতিৰ ভিতৰতে প্ৰথম কুকুৰা ডাকৰ আগতে গোসাঁনীৰ কাৰণে তামৰ চাল দি শিলৰ দেৱালয় এখন আৰু তাৰপৰা নৈলৈ উঠা-নমা কৰিবপৰা শিলৰ খট্খটিৰে পকা ঘাট এটা সাজি দিব পাৰে, তেন্তে তেওঁ ৰজাক পতিৰূপে ভজনা কৰিব। নহ'লে ৰজাই তেওঁক দেবীৰূপত ভজনা কৰিব লাগিব। ৰজাই পিশ্বাছিডেমাক ভজনা কৰাবৰ অৰ্থে অতি উৎসাহেৰে সমগ্ৰ নিশা ধৰি কাৰিকৰসকলক খটোৱাই নিৰ্মাণ কাৰ্য কৰাবলৈ লাগিল আৰু কেৱল দুৱাৰখনক বাদ দি বাকী নিৰ্মাণ কাৰ্য পুৱাৰ পূৰ্বেই সমাপ্ত হ'ল। গোসাঁনীয়ে সমস্যাৰ গুৰুত্ব বুজি দুৱাৰখন সাজিবলৈ নৌ পাওঁতেই গোসাঁনীয়ে মায়াৰ বলেৰে এটা কুকুৰা সৃষ্টি কৰি ডাক দিয়ালে। তেতিয়া ৰজাই দেৱালয়খন সাজিবলৈ এৰি দিলে আৰু পূৰ্ব সংকল্প ৰাখি নিৰ্বিবাদে পিশচাছিডেমাক ভজনা কৰিব লগা হ'ল। দেউৰীসকলৰ মতে ৰজাই মন্দিৰ সাজি ভজনা কৰাবপৰাহে পিশ্বাছিডেমা দেৱী পদবাচ্য হৈ উঠিল আৰু চুতীয়া-দেউৰীৰ আৰাধ্য দেৱী হ'ল। তামৰ ছালেৰে সজা কাৰণে দেৱালয়খনৰ নাম তাম্ৰদেৱালয় আৰু তাৰ অধিষ্ঠাত্ৰী দেৱীৰ নাম হ'ল তাম্ৰেশ্বৰী। দেৱালয়ৰ দুৱাৰখনৰ নিৰ্মাণ অসম্পূৰ্ণ হৈ ৰ'ল। সেয়ে পূজা-অৰ্চনাৰ সময়ত দেৱালয়ৰ দুৱাৰখন সদায় উন্মুক্তকৈ

[১৮] The river (Paya) got sited up since 1959 and Tamreswari is now completely hidden under an inaccessible marshy land full of *akra* - Y.A. Raikar, 'Temple and Fort Architecture in Arunachal Pradesh', **Arunachal News**, vol. No. 7, October 1978, No.6.,p.7.

[১৯] **দেউৰী সংস্কৃতি**, পৃঃ ৭৮।



ৰখা হৈছিল বুলি জনবিশ্বাস আছে।[২০]

কেঁচাইখাঁতী (তাম্ৰেশ্বৰী) গোসাঁনী সম্পৰ্কীয় আন এটি জনপ্ৰবাদ আছে। এসময়ত কেঁচাইখাঁতী গোসাঁনীয়ে তেওঁৰ মাহাত্ম্য প্ৰকাশৰ কাৰণে শিলাৰূপে দিবাং নৈত ওপঙি আছিল। তাকে দেখি কুণ্ডিলৰ ভীষ্মক ৰজাই দেশৰ সকলো লোকক মতাই আনি শিলাৰূপী দেৱীক পানীৰপৰা তুলিবলৈ নিৰ্দেশ দিলে। কিন্তু মহাশক্তি স্বৰূপা ৰহস্যময়ী দেৱীক কোনেও লৰাবকে নোৱাৰিলে। নিৰুপায় হৈ শেষত ৰজাই ঢোল পিটি জাননী দিলে যে যেয়ে এই শিলামূৰ্তি নিব পাৰিব তেৱেঁই ৰাজপুৰোহিত হৈ বিখ্যাত বুঢ়া-বুঢ়ী, বলিয়াবাবা আৰু তাম্ৰেশ্বৰী মন্দিৰৰ পূজাৰী হ'ব। এই বাতৰি প্ৰচাৰ হোৱা মাত্ৰকে বিভিন্ন জাতিৰ মানুহ গোট খাই মূৰ্ত্তিখনি নিয়াৰ চেষ্টা কৰিলে। কিন্তু পানীত তেওঁ ইমান গধুৰ হৈ পৰিছিল যে সেই মূৰ্ত্তি দাঙিবৰ কাৰো শক্তি নহ'ল। শেষত চাৰিজন চুতীয়া লোকে গা-পা ধুই অতি শুদ্ধভাৱে দেৱীক স্তুতি-নতি কৰি দাঙিব খোজাত শিলাৰূপী দেৱী তেনেই পাতল হৈ পৰিল আৰু তেতিয়া তেওঁলোকে দেৱীমূৰ্ত্তিক দোলাত তুলি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপন কৰিলগৈ। তেতিয়াৰেপৰা সেই চাৰিজন চুতীয়া লোক আৰু তেওঁলোকৰ বংশধৰসকল তাম্ৰেশ্বৰী মন্দিৰ প্ৰমুখ্যে চাৰি দেৱালয়ৰ পুৰোহিত, আঠপৰীয়া[২১] আদি হ'ল।[২২] এই ঘটনাৰপৰা কেঁচাইখাঁতী দেৱীমূৰ্ত্তি যে একান্ত প্ৰত্যক্ষ আৰু জাগ্ৰত সেই কথা তৎক্ষণাত প্ৰচাৰ হৈ পৰিছিল। 'দেৱী মাহাত্ম্য, ঐকান্তিক ভক্তিৰে পূজা কৰাৰ মহত্ব আৰু মানৱৰ আন্তৰিক আৰু বাহ্যিক শুদ্ধতাৰ তাৎপৰ্য' এই কিংবদন্তিৰপৰাই অনুধাৱন কৰিব পাৰি।[২৩]

তাম্ৰেশ্বৰী মন্দিৰৰ দেৱীক নৰবলিৰে পূজা কৰা হৈছিল। জনবিশ্বাসমতে, দেৱীয়ে কেঁচাই তেজ খায়, কেঁচাই বলি লয়, সেয়ে তেওঁৰ নাম কেঁচাইখাঁতী আৰু মন্দিৰটোক কেঁচাইখাঁতী গোসাঁনীৰ মন্দিৰ বুলি কোৱা হয়। দেউৰীসকলে এই মন্দিৰৰ উপাস্য দেৱীক পিশ্বাছিডেমা অৰ্থাৎ বৰজীয়েক আৰু আনে কেঁচাইখাঁতী বা তাম্ৰেশ্বৰী মাতৃ বোলে। দেউৰীসকলৰ বিশ্বাসমতে ৰজাই শক্তিপূজা নকৰিলে দেশত বিঘিনি ঘটে আৰু সেয়ে দেশৰ মঙ্গলৰ কাৰণে কেঁচাইখাঁতী দেৱী পূজাত নৰবলি দি সমূহ ৰাইজৰ কল্যাণ কামনা কৰা হৈছিল।[২৪] এনে নৰবলি যে কেৱল তাম্ৰেশ্বৰী মন্দিৰত চলিছিল এনে নহয়। নগা, খাছি, লালুং (তিৱা), বড়ো, ডিমাচা আদি সম্প্ৰদায়ৰ মাজতো এসময়ত নৰবলি প্ৰথাৰ

[২০] ঐ, পৃঃ ৪৯-৫০; **দেৱী**, পৃঃ ২২২

[২১] দিন আৰু ৰাতিৰ আঠ ভাগৰ এভাগ দেৱালত খটা মানুহ, আঠ পৰীয়া আঠজন থাকে আৰু গাই পতি এপৰ দেৱালত খাটে - **হেমকোষ**, পৃঃ ৮৭

[২২] **দেউৰী সংস্কৃতি**, পৃঃ ৫-৬; দেৱী, পৃঃ২১৬

[২৩] **দেউৰী সংস্কৃতি**, পৃঃ ৬

[২৪] **দেৱী**, পৃঃ ২১৯-২২০

প্ৰচলন আছিল। আৰু কামাখ্যা মন্দিৰতো নৰবলিৰ ব্যৱস্থা আছিল।[২৫] ঠিক সেইদৰে কোচ, কছাৰী, মণিপুৰী, জয়ন্তীয়া, ত্ৰিপুৰী আদি লোকেও এসময়ত নৰবলি দিছিল।[২৬]

তাম্ৰেশ্বৰী মন্দিৰত মানুহৰ বাহিৰেও হাতী, ঘোঁৰা, ম'হ, ছাগলী, গাহৰি, কুকুৰা, হাঁহ, পাৰ, কেঁকোৰা, মাছ, কোমোৰা, কচু, কুঁহিয়াৰ আদি বলিৰূপত আগবঢ়োৱা হৈছিল।

যোল্ল শতাব্দীৰ আদিতেই চুতীয়া ৰাজ্য আহোমসকলৰ হাতলৈ যোৱাৰ পিছত চুতীয়া ভূপতিসকলে বছৰি চলাই অহা নৰবলি প্ৰথা স্বৰ্গদেৱসকলেও চলাই গৈছিল।[২৭] অষ্টাদশ শতিকাৰ শেষ ভাগত সদিয়া খামটিসকলৰ হাতলৈ যোৱালৈকে সদিয়াখোৱা গোহাঁইৰ তত্ত্বাৱধানত সদিয়াৰ দেওঘৰত পূজা-সেৱা আৰু নৰবলি চলিছিল। সপ্তদশ শতিকাৰ মাজভাগত প্ৰতাপসিংহ বুঢ়া ৰজাৰ মৃত্যুৰ সময়ত 'সৰ্গদেৱৰ সলনি আমাৰে এক স নৰবলি সদিয়াৰ আইলৈ দিমহক, তেও সৰ্গদেও কুসলে থাকক' বুলি প্ৰজা আগবাঢ়ি আহিছিল।[২৮] ব'হাগ বিহুৰ পূজা উৎসৱত বছৰি একোটা নৰবলি দিয়া বাবে তাম্ৰেশ্বৰী মন্দিৰ আটাইতকৈ বিখ্যাত আছিল। এই মন্দিৰত আকৌ যাকে-তাকে বলি দিয়া নহৈছিল। দেউৰীসকলৰ মতে, যি ঘৰ মানুহৰপৰা নৰবলি লোৱা হয়, সেইঘৰ মানুহক গোসাঁনীয়ে পূৰ্বেই বাছি থব। সেইঘৰ মানুহ চুতীয়াসকলৰে এফৈদ লোক আছিল। চুতীয়াসকলে এই ফৈদ বা খেলৰ মানুহক 'বৰুৱালি' বুলি কৈছিল।[২৯] এই ফৈদৰ মাজৰে 'ষাড়'ৰ (কৰ-কাটল আদিৰপৰা মুক্ত) ঘৰৰ এটি পৰিয়ালৰপৰা একোজন গাত ঘূণ নলগা, অবিবাহিত, নিখুঁত চফল ডেকাহে বলিৰ যোগ্য বুলি বিবেচিত হৈছিল। আনহাতে, ৰুগীয়া, জাৰজ, পয়ালগা, কুকুৰ-সাপ-শিয়াল আদিয়ে কামোৰা, অঙ্গক্ষত থকা, বসন্তৰ দাগ থকা, কাণ বিন্ধোৱা, উচ্ছিষ্ট আৰু অখাদ্য ভক্ষণ কৰা 'ষাড়'ৰ বংশজাত ডেকা হ'লেও বলিৰ বাবে অনুপযুক্ত গণ্য কৰা হৈছিল হৈছিল। বলি প্ৰাৰ্থীজনে আনকি চুলি পৰ্যন্ত কাটিব নোৱাৰিছিল।[৩০] কৰ্ণেল ই. টি. ডেল্টনৰ মতে পৰৱৰ্তী কালত আহোম ৰজাসকলে ৰাজদণ্ডৰে দণ্ডিত মানুহক তাম্ৰেশ্বৰী মন্দিৰত বলি দিবলৈ দিছিল।[৩১] কিন্তু সকলো সময়তে এনেকুৱা অপৰাধী পিছলৈ নোপোৱা হ'লত ৰজাই বলিৰ নিমিত্তে এখেল মানুহ পাতিছিল। সেই খেল মানুহৰপৰাই বছৰি একোটা নৰবলি যোগাৰ কৰা হৈছিল। সেই খেল মানুহ কৰ-কাটলৰপৰা মুক্ত আছিল আৰু তেওঁলোকক **ষাঁড়**ৰ ঘৰ বুলিছিল।[৩২] দেউৰীসকলৰ

[২৫] যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, **অসমৰ সাংস্কৃতিক ইতিহাস**, পৃঃ ১৫

[২৬] বিস্তৃত বিৱৰণৰ বাবে চাওক - ঐ, পৃঃ ১৭-১৮।

[২৭] ইতিহাসে **সোঁৱৰা ছশটা বছৰ**, সৰ্ব্বানন্দ ৰাজকুমাৰ, পৃঃ ৪০০

[২৮] ঐ, পৃঃ ২৯।

[২৯] **দেউৰী সংস্কৃতি**, পৃঃ ৬৮।

[৩০] ঐ।

[৩১] E.T. Dalton, 'Notes on the Chutiyas of Upper Assam', appended to **An Outline Grammar of the Deori-Chutiya Language spoken in Upper Assam**, p.76.

[৩২] *ibid.*



মতে মৃত্যুদণ্ডৰে দণ্ডিত মানুহক কেঁচাইখাঁতী গোসাঁনীৰ আগত বলি দিয়া কথাটো সত্য নহয়।[৩৩]

বলি যাব খোজা ডেকাজনে পূজাৰ সাদিনমান আগৰেপৰা নিজে বলিৰূপে মন্দিৰলৈ গৈ গোসাঁনীক গা-দেখুৱাই তাতে থাকিবলৈ লৈছিল বুলি জনপ্ৰবাদ আছে। বলেৰে ধৰি নিয়াৰ নিয়ম নাছিল। পৰীয়াসকলে বৰকাঁহ বজাই সকলোকে এই বাতৰি জনাই দিছিল। তেতিয়াৰেপৰা তেওঁক পূজাৰ নিৰ্দ্ধাৰিত দিনলৈকে মন্দিৰৰ আছুতীয়া ঘৰত থাকিবলৈ দিয়া হৈছিল। মন্দিৰৰ বিষয়ববীয়া আৰু পৰীয়াই পূৰ্বাপৰ নিয়ম অনুযায়ী দৈনিক মাহ-হালধিৰে নোৱাই-ধুৱাই তেওঁক সন্তোষেৰে ৰাখিছিল। সেই কেইদিন তেওঁ একোকে নাখাইছিল। কিন্তু খাবলৈ ইচ্ছা কৰিলে ভোগ, মাহ-প্ৰসাদৰ বাহিৰে একো খাবলৈ দিয়াৰ নিয়ম নাছিল। ডেল্টনৰ মতে 'বলি দিবলৈ বছা ডেকাটিক দুদিনমান বেলেগ মন্দিৰত ৰাখি ভালকৈ খুৱাই-বুৱাই নিপোটল কৰা'ৰ[৩৪] কথা দেউৰীসকলে বিশ্বাস নকৰে। বলি প্ৰাৰ্থীজনে প্ৰিয়জনক চাবলৈ বা কোনো আত্মীয় লোকৰ লগত কথা পাতিবলৈ হেঁপাহ কৰিলে সেইজনক তৎক্ষণাৎ অনাই দিয়া হৈছিল। তেওঁৰ সকলো মনোবাঞ্ছা পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

পূজাৰ দিনা নিৰ্দিষ্ট সময়ত বলিপ্ৰাৰ্থী ডেকাজনক নোৱাই-ধুৱাই নতুন মূল্যবান সাজপাৰ, সোণ-ৰূপৰ অলঙ্কাৰ, মুকুট, কপালী আদি পিন্ধাই ৰজা-প্ৰজাসকলক দেখুওৱা হৈছিল। তেতিয়া নানা বাদ্যযন্ত্ৰৰে ধ্বনি দিয়া হৈছিল। উপস্থিত ৰাইজৰ তুমুল হৰ্ষধ্বনিৰ মাজত মুখ্য পুৰোহিত বৰদেউৰীয়ে দেৱীৰ আগত বলি উছৰ্গা কৰিছিল। বৰভৰালীয়ে বলিক মন্দিৰৰ বাহিৰত থকা এটা কুণ্ডলৈ লুকুৱাই লৈ গৈছিল। তালৈ আন মানুহক যাবলৈ দিয়া নহৈছিল। তাত তেওঁ বলিৰ গাত থকা অলঙ্কাৰ-পাতি খহাই দিছিল। তাৰ পিছতহে নৰবলি দিয়া পুৰোহিতে বলি দিছিল। বলিৰ গাটো 'গঙ্গা প্ৰবাহিত' এটা গভীৰ কুণ্ডত পৰে আৰু মূৰটো তাতে থাকে।[৩৫] এই নৰবলি প্ৰথা স্বৰ্গদেৱ গৌৰীনাথসিংহই (১৭৮০-৯৫খ্ৰীঃ) বন্ধ কৰে।[৩৬] দেউৰীসকলে বিশ্বাস কৰে যে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিবলৈ এৰা বাবেই আহোম ৰাজ্যৰ পতন হ'ল।[৩৭]

মেজৰ এছ. এফ. হান্নেয়ে তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰি ১৮৪৮ চনৰ জুন মাহত এটি প্ৰৱন্ধত লিখিছিল যে 'বৰ্তমান শতিকাৰ ভিতৰতে তাত (তাম্ৰেশ্বৰী মন্দিৰত) নৰবলি দিয়াৰ কথা সৰ্বজনবিদিত'।[৩৮] অৱশ্যে তেওঁ শেষ নৰবলি কেতিয়া দিয়া হৈছিল

[৩৩] **দেউৰী সংস্কৃতি**, পৃঃ ৬৮।

[৩৪] 'Notes on the Chutiyas of Upper Assam', p. 77.

[৩৫] **দেউৰী সংস্কৃতি**, পৃঃ ৭০।

[৩৬] ঐ, পৃঃ ৭১।

[৩৭] ঐ।

[৩৮] 'Notes on Ancient Temples etc.' *loc.cit.*, p.463.

প্ৰচলন আছিল। আৰু কামাখ্যা মন্দিৰতো নৰবলিৰ ব্যৱস্থা আছিল।[২৫] ঠিক সেইদৰে কোচ, কছাৰী, মণিপুৰী, জয়ন্তীয়া, ত্ৰিপুৰী আদি লোকেও এসময়ত নৰবলি দিছিল।[২৬]

তাম্ৰেশ্বৰী মন্দিৰত মানুহৰ বাহিৰেও হাতী, ঘোঁৰা, ম'হ, ছাগলী, গাহৰি, কুকুৰা, হাঁহ, পাৰ, কেঁকোৰা, মাছ, কোমোৰা, কচু, কুঁহিয়াৰ আদি বলিৰূপত আগবঢ়োৱা হৈছিল।

যোল্ল শতাব্দীৰ আদিতেই চুতীয়া ৰাজ্য আহোমসকলৰ হাতলৈ যোৱাৰ পিছত চুতীয়া ভূপতিসকলে বছৰি চলাই অহা নৰবলি প্ৰথা স্বৰ্গদেৱসকলেও চলাই গৈছিল।[২৭] অষ্টাদশ শতিকাৰ শেষ ভাগত সদিয়া খামটিসকলৰ হাতলৈ যোৱালৈকে সদিয়াখোৱা গোহাঁইৰ তত্ত্বাৱধানত সদিয়াৰ দেওঘৰত পূজা-সেৱা আৰু নৰবলি চলিছিল। সপ্তদশ শতিকাৰ মাজভাগত প্ৰতাপসিংহ বুঢ়া ৰজাৰ মৃত্যুৰ সময়ত 'সৰ্গদেৱৰ সলনি আমাৰে এক স নৰবলি সদিয়াৰ আইলৈ দিমহক, তেও সৰ্গদেও কুসলে থাকক' বুলি প্ৰজা আগবাঢ়ি আহিছিল।[২৮] ব'হাগ বিহুৰ পূজা উৎসৱত বছৰি একোটা নৰবলি দিয়া বাবে তাম্ৰেশ্বৰী মন্দিৰ আটাইতকৈ বিখ্যাত আছিল। এই মন্দিৰত আকৌ যাকে-তাকে বলি দিয়া নহৈছিল। দেউৰীসকলৰ মতে, যি ঘৰ মানুহৰপৰা নৰবলি লোৱা হয়, সেইঘৰ মানুহক গোসাঁনীয়ে পূৰ্বেই বাছি থব। সেইঘৰ মানুহ চুতীয়াসকলৰে এফৈদ লোক আছিল। চুতীয়াসকলে এই ফৈদ বা খেলৰ মানুহক 'বৰুৱালি' বুলি কৈছিল।[২৯] এই ফৈদৰ মাজৰে 'ষাড়'ৰ (কৰ-কাটল আদিৰপৰা মুক্ত) ঘৰৰ এটি পৰিয়ালৰপৰা একোজন গাত ঘূণ নলগা, অবিবাহিত, নিখুঁত চফল ডেকাহে বলিৰ যোগ্য বুলি বিবেচিত হৈছিল। আনহাতে, ৰুগীয়া, জাৰজ, পয়ালগা, কুকুৰ-সাপ-শিয়াল আদিয়ে কামোৰা, অঙ্গক্ষত থকা, বসন্তৰ দাগ থকা, কাণ বিন্ধোৱা, উচ্ছিষ্ট আৰু অখাদ্য ভক্ষণ কৰা 'ষাড়'ৰ বংশজাত ডেকা হ'লেও বলিৰ বাবে অনুপযুক্ত গণ্য কৰা হৈছিল হৈছিল। বলি প্ৰাৰ্থীজনে আনকি চুলি পৰ্যন্ত কাটিব নোৱাৰিছিল।[৩০] কৰ্ণেল ই. টি. ডেল্টনৰ মতে পৰৱৰ্তী কালত আহোম ৰজাসকলে ৰাজদণ্ডৰে দণ্ডিত মানুহক তাম্ৰেশ্বৰী মন্দিৰত বলি দিবলৈ দিছিল।[৩১] কিন্তু সকলো সময়তে এনেকুৱা অপৰাধী পিছলৈ নোপোৱা হ'লত ৰজাই বলিৰ নিমিত্তে এখেল মানুহ পাতিছিল। সেই খেল মানুহৰপৰাই বছৰি একোটা নৰবলি যোগাৰ কৰা হৈছিল। সেই খেল মানুহ কৰ-কাটলৰপৰা মুক্ত আছিল আৰু তেওঁলোকক **ষাঁড়**ৰ ঘৰ বুলিছিল।[৩২] দেউৰীসকলৰ

[২৫] যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, **অসমৰ সাংস্কৃতিক ইতিহাস**, পৃঃ ১৫

[২৬] বিস্তৃত বিৱৰণৰ বাবে চাওক - ঐ, পৃঃ ১৭-১৮।

[২৭] ইতিহাসে **সোঁৱৰা ছশটা বছৰ**, সৰ্ব্বানন্দ ৰাজকুমাৰ, পৃঃ ৪০০

[২৮] ঐ, পৃঃ ২৯।

[২৯] **দেউৰী সংস্কৃতি**, পৃঃ ৬৮।

[৩০] ঐ।

[৩১] E.T. Dalton, 'Notes on the Chutiyas of Upper Assam', appended to **An Outline Grammar of the Deori-Chutiya Language spoken in Upper Assam**, p.76.

[৩২] *ibid.*



মতে মৃত্যুদণ্ডৰে দণ্ডিত মানুহক কেঁচাইখাঁতী গোসাঁনীৰ আগত বলি দিয়া কথাটো সত্য নহয়।[৩৩]

বলি যাব খোজা ডেকাজনে পূজাৰ সাদিনমান আগৰেপৰা নিজে বলিৰূপে মন্দিৰলৈ গৈ গোসাঁনীক গা-দেখুৱাই তাতে থাকিবলৈ লৈছিল বুলি জনপ্ৰবাদ আছে। বলেৰে ধৰি নিয়াৰ নিয়ম নাছিল। পৰীয়াসকলে বৰকাঁহ বজাই সকলোকে এই বাতৰি জনাই দিছিল। তেতিয়াৰেপৰা তেওঁক পূজাৰ নিৰ্দ্ধাৰিত দিনলৈকে মন্দিৰৰ আছুতীয়া ঘৰত থাকিবলৈ দিয়া হৈছিল। মন্দিৰৰ বিষয়ববীয়া আৰু পৰীয়াই পূৰ্বাপৰ নিয়ম অনুযায়ী দৈনিক মাহ-হালধিৰে নোৱাই-ধুৱাই তেওঁক সন্তোষেৰে ৰাখিছিল। সেই কেইদিন তেওঁ একোকে নাখাইছিল। কিন্তু খাবলৈ ইচ্ছা কৰিলে ভোগ, মাহ-প্ৰসাদৰ বাহিৰে একো খাবলৈ দিয়াৰ নিয়ম নাছিল। ডেল্টনৰ মতে 'বলি দিবলৈ বছা ডেকাটিক দুদিনমান বেলেগ মন্দিৰত ৰাখি ভালকৈ খুৱাই-বুৱাই নিপোটল কৰা'ৰ[৩৪] কথা দেউৰীসকলে বিশ্বাস নকৰে। বলি প্ৰাৰ্থীজনে প্ৰিয়জনক চাবলৈ বা কোনো আত্মীয় লোকৰ লগত কথা পাতিবলৈ হেঁপাহ কৰিলে সেইজনক তৎক্ষণাৎ অনাই দিয়া হৈছিল। তেওঁৰ সকলো মনোবাঞ্ছা পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

পূজাৰ দিনা নিৰ্দিষ্ট সময়ত বলিপ্ৰাৰ্থী ডেকাজনক নোৱাই-ধুৱাই নতুন মূল্যবান সাজপাৰ, সোণ-ৰূপৰ অলঙ্কাৰ, মুকুট, কপালী আদি পিন্ধাই ৰজা-প্ৰজাসকলক দেখুওৱা হৈছিল। তেতিয়া নানা বাদ্যযন্ত্ৰৰে ধ্বনি দিয়া হৈছিল। উপস্থিত ৰাইজৰ তুমুল হৰ্ষধ্বনিৰ মাজত মুখ্য পুৰোহিত বৰদেউৰীয়ে দেৱীৰ আগত বলি উছৰ্গা কৰিছিল। বৰভৰালীয়ে বলিক মন্দিৰৰ বাহিৰত থকা এটা কুণ্ডলৈ লুকুৱাই লৈ গৈছিল। তালৈ আন মানুহক যাবলৈ দিয়া নহৈছিল। তাত তেওঁ বলিৰ গাত থকা অলঙ্কাৰ-পাতি খহাই দিছিল। তাৰ পিছতহে নৰবলি দিয়া পুৰোহিতে বলি দিছিল। বলিৰ গাটো 'গঙ্গা প্ৰবাহিত' এটা গভীৰ কুণ্ডত পৰে আৰু মূৰটো তাতে থাকে।[৩৫] এই নৰবলি প্ৰথা স্বৰ্গদেৱ গৌৰীনাথসিংহই (১৭৮০-৯৫খ্ৰীঃ) বন্ধ কৰে।[৩৬] দেউৰীসকলে বিশ্বাস কৰে যে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিবলৈ এৰা বাবেই আহোম ৰাজ্যৰ পতন হ'ল।[৩৭]

মেজৰ এছ. এফ. হান্নেয়ে তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰি ১৮৪৮ চনৰ জুন মাহত এটি প্ৰবন্ধত লিখিছিল যে 'বৰ্তমান শতিকাৰ ভিতৰতে তাত (তাম্ৰেশ্বৰী মন্দিৰত) নৰবলি দিয়াৰ কথা সৰ্বজনবিদিত'।[৩৮] অৱশ্যে তেওঁ শেষ নৰবলি কেতিয়া দিয়া হৈছিল

[৩৩] **দেউৰী সংস্কৃতি**, পৃঃ ৬৮।

[৩৪] 'Notes on the Chutiyas of Upper Assam', p. 77.

[৩৫] **দেউৰী সংস্কৃতি**, পৃঃ ৭০।

[৩৬] ঐ, পৃঃ ৭১।

[৩৭] ঐ।

[৩৮] 'Notes on Ancient Temples etc.' *loc.cit.*, p.463.

আৰু মানসকলৰ সময়লৈকে এই প্ৰথাৰ চলন্তি আছিল নে নাই এই বিষয়ে নিশ্চিত হ'ব নোৱাৰিলে। কিন্তু তেখেতে যিবিলাক মানুহৰ মাজৰপৰা নৰবলি লোৱা হৈছিল তেনে মানুহৰ এটা পৰিয়াল সেই সময়ত সদিয়াত বাস কৰি থকাৰ কথা গম পাইছিল।[৩৯]

পূজাৰ সময়ত তাম্ৰেশ্বৰী মন্দিৰৰ ঘৰ-দুৱাৰ, ৰাজহুৱা বাট-ঘাট, আলি-পদুলি আদি অতি সুন্দৰকৈ সজাই আকৰ্ষণীয় কৰি তোলা হৈছিল। দেৱী কেঁচাইখাঁতীৰ কোপদৃষ্টিৰপৰা ৰক্ষা পাবলৈ, কৰুণা আৰু কৃপালাভাৰ্থে জগন্মাতাৰ আগত শুদ্ধচিত্তে আৰু একান্ত ভক্তিভাৱে যথাৰীতিৰে অৰিহণা অৰ্পণ কৰি মানুহে অভীষ্ট সিদ্ধি লাভ কৰিব পাৰে বুলি জনসাধাৰণৰ মাজত পৰম বিশ্বাস আছিল। এই পূজা-উৎসৱৰ অন্যতম আকৰ্ষণীয় আৰু অবিচ্ছেদ্য অঙ্গ হৈছে দেওধ্বনিৰ দৈববাণী আৰু বলিকটা তীক্ষ্ণ অস্ত্ৰৰ ওপৰত নৃত্য প্ৰদৰ্শন। দেওধ্বনিৰপৰা ভূত-ভৱিষ্যতৰ কথা সুধিবলৈ, অপায়-অমঙ্গল খণ্ডনৰ উপায় বিচাৰি, অমূল্য বস্তু লাভ কৰিবলৈ নাইবা পুত্ৰহীনৰ পুত্ৰলাভ ইত্যাদি ইপ্সিত ফল লাভৰ আশাৰে বহুতো মানুহ মন্দিৰলৈ আহিছিল।[৪০] হেন্নে চাহাবৰ মতে, কোচবিহাৰৰপৰা অসম উপত্যকাৰ পূব প্ৰান্তলৈ বিস্তৃত বুলি জনাজাত পথটোৰেদি পশ্চিম ভাৰতৰপৰা 'পূব-কামাখ্যা' ৰূপে প্ৰসিদ্ধ তাম্ৰেশ্বৰী মন্দিৰলৈ মানুহ অহা-যোৱা কৰিছিল।[৪১] ডেল্টন চাহাবে এখন পুৰণি বুৰঞ্জী পুথিৰ ওপৰত ভিত্তি কৰি চুতীয়াসকলৰ বিষয়ে লিখা এটা টোকাত কৈছে যে 'তাম্ৰেশ্বৰী মন্দিৰৰ সমীপৰ সকলো পৰ্বতীয়া জনজাতি আৰু অসমৰ আহোম আৰু হিন্দু লোকসকল এই মন্দিৰৰ প্ৰতি শ্ৰদ্ধাশীল আছিল যেন দেখা যায়। হিন্দুস্থান আৰু সুদূৰ তিব্বত আৰু চীনদেশৰ তীৰ্থযাত্ৰীসকলে নিজ নিজ দেশৰপৰা নৈবেদ্য লৈ এই মন্দিৰ দৰ্শন কৰিছিল'।[৪২] ডম্বৰুধৰ দেউৰীয়েও কৈছে যে চীন, তিব্বত, ভূটান, নেপাল, ছিকিম, বাৰ্মা আৰু ভাৰতবৰ্ষৰ নানা ঠাইৰপৰা অনেক লোক তাম্ৰেশ্বৰী মন্দিৰলৈ আহিছিল। দাঁতিকাষৰীয়া পৰ্বতবোৰৰপৰা মন্‌পা, আপাটানি, আবৰ (আদি), মিচিমি, তাৰাও, চিংফৌ, ৰাংপাং, টিকক নগা আদি পৰ্বতীয়া জাতি আৰু ভৈয়ামৰপৰা চুতীয়া, কছাৰী, আহোম, মৰাণ, মটক, বৰাহী আদি নানা জাতি-উপজাতি আহি এই তাম্ৰেশ্বৰী মন্দিৰক পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ কেন্দ্ৰস্থলত পৰিণত কৰিছিল।[৪৩]

## মালিনীথান

কেঁচাইখাঁতী দেৱীৰ মন্দিৰৰ দৰে মালিনী থানো প্ৰাচীন চুতীয়া ৰাজ্যৰ অন্তৰ্গত

---

[৩৯] *ibid.*

[৪০] **দেউৰী সংস্কৃতি**, পৃঃ ৭৩।

[৪১] 'Notes on Ancient Temples etc.' *loc.cit.*, p.462.

[৪২] 'Notes on the Chutiyas of Upper Assam', p. 77.

[৪৩] **দেউৰী সংস্কৃতি**, পৃঃ৭২-৭৪।



এখন পৱিত্ৰ স্থান আছিল। এই ঠাই নামনি চিয়াং জিলাৰ লিকাবালি মহকুমাত অসম-অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চলত সমতল ভূমিৰপৰা প্ৰায় ২১ মিটাৰ উচ্চতাত অৱস্থিত।

পুৰণি কালত মালিনীথানত কেইটামান মন্দিৰ আছিল আৰু তাত বহুতো হিন্দু দেৱ-দেৱীক পূজা কৰা হৈছিল; কিন্তু কালক্ৰমত মন্দিৰকেইটা ভাঙি পৰিছিল আৰু তাত থকা মূৰ্ত্তি বা বিগ্ৰহবোৰো পোত গৈছিল। বহুদিন এনেকৈয়ে থকাৰ পিছত কুৰি শতিকাৰ চতুৰ্থ দশকত (১৯৩৬-১৯৩৯) ডব্লিউ. এইছ্. কালভাৰ্ট (W.H. Calvert) নামৰ পাছিঘাটৰ সহকাৰী ৰাজনৈতিক বিষয়া (Assistant Political Officer) এজনে গালং সম্প্ৰদায় আৰু সমতলভূমিৰ তৰাজান অঞ্চলৰ মানুহৰ মাজত ঘটা এটা আভ্যন্তৰীণ বিবাদ মীমাংসা কৰিবলৈ যাওঁতে মালিনীথানৰ ধ্বংসাৱশেষবোৰ দেখা পাইছিল। কালভাৰ্ট চাহাবে সেই থানত বাস কৰি থকা এজন সাধুৱে তেওঁৰ উপাস্য দেৱতাক দৈনিক পূজা-পাতল কৰা দেখিছিল। এই সাধুজনে তেওঁৰ সেই আৰাধ্য দেৱতাক প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে মালিনীথানৰ কিছুমান মূৰ্ত্তি ভাঙি পেলাইছিল আৰু সেইবাবেই তেওঁক তাৰপৰা কালভাৰ্টে খেদি পঠিয়াইছিল।[৪৪] কিছুমান স্থানীয় মানুহে আকৌ মালিনীথানৰ কিছুমান মূৰ্ত্তি ভাঙি পেলোৱা বুলি কালভাৰ্টক জগৰীয়া কৰিব বিচাৰে, কিন্তু এই কথা সত্য নহয়; কিয়নো সু-শিক্ষিত ব্ৰিটিছসকল ঐতিহাসিক স্মৃতিচিহ্নৰ মূল্য সম্পৰ্কে সম্পূৰ্ণ সচেতন আছিল।[৪৫] মালিনীথানৰ ভগ্নাৱশেষবোৰ বহুদিন ধৰি হাবি-জংঘলৰ মাজত পোত গৈ থাকিলেও স্থানীয় লোকসকলে সেইবিলাকৰ বিষয়ে জানিছিল; কিন্তু তাত কোনোবা প্ৰেতাত্মা বা অপদেৱতাই বিচৰণ কৰি থকা বুলি ভাবি তেওঁলোকে সেই ঠাইত প্ৰৱেশ নকৰিছিল।[৪৬] দেশ স্বাধীন হোৱাৰ পিছত পুনৰ দুজনমান চৰকাৰী বিষয়াই (প্ৰথমে ড° ধৰ্মেশ্বৰ চুতীয়া আৰু তাৰ পিছত ভৰত চন্দ্ৰ ভূএগ্ৰাই) মালিনীথান অঞ্চল পৰিভ্ৰমণ কৰিছিল। ভূএগ্ৰাদেৱে মালিনীথান পৰিদৰ্শন কৰি যোনীপীঠৰপৰা বিচ্ছিন্ন হৈ থকা এটা শিৱলিঙ্গ, তিনিডোখৰ হৈ ভাগি থকা দশভুজা দুৰ্গা, গণেশ আদিৰ উপৰি অন্যান্য দেৱতাৰ কিছুমান ভগা-ছিগা মূৰ্ত্তি দেখিবলৈ পাইছিল।[৪৭]

মালিনীথানত চৰকাৰীভাৱে প্ৰথম প্ৰণালীবদ্ধ অনুসন্ধান আৰম্ভ হৈছিল ১৯৬৮ চনৰপৰা। এই কামৰ গুৰি ধৰিছিল উত্তৰ-পূব সীমান্ত অঞ্চল বা NEFA-ৰ গৱেষণা বিভাগ (বুৰঞ্জী) -ৰ তদানীন্তন উপ-সঞ্চালক এল. এন. চক্ৰৱৰ্ত্তীয়ে। মালিনীথান আৰু ইয়াৰ সমীপৱৰ্ত্তী অঞ্চলত এক বিস্তৃত ক্ষেত্ৰ অধ্যয়ন চলাই তেওঁ সেই ঠাইত হাবি-

---

[৪৪] লীলা গগৈ, **অসমৰ সংস্কৃতি**, পৃঃ ১৪৫।

[৪৫] কালভাৰ্টক স্থানীয় মানুহ কিছুমানে দোষাৰোপ কৰাৰ কাৰণসমূহৰ বিশ্লেষণ জানিবলৈ চাওক - J.C. Dutta, **Malinithan**, DRAP, Itanagar, 1997,p.10।

[৪৬] *ibid.*, p.11.

[৪৭] লীলা গগৈ, **পূৰ্বোক্ত গ্ৰন্থ**।

জংঘলৰ মাজত পোত খাই থকা অৱস্থাত শিলত কটা বহুতো সুন্দৰ সুন্দৰ মূৰ্ত্তিৰ ধ্বংসাৱশেষ দেখা পাইছিল। পিছত ১৯৭০-১৯৭২ চনৰ সময়ছোৱাত তেখেতে সেই স্থানত খননকাৰ্য চলাই প্ৰথমটো পৰ্যায়ত এশতকৈ অধিক মূৰ্ত্তি আৱিষ্কাৰ কৰে।[৪৮] খননকাৰ্যৰ দ্বিতীয়টো পৰ্যায় অৰুণাচল প্ৰদেশ চৰকাৰৰ গৱেষণা বিভাগৰ সঞ্চালক টাগে টাডা (Tage Tada) আৰু তেওঁৰ সৈতে থকা প্ৰত্নতাত্ত্বিকসকলৰ দল এটাই ১৯৯৯-২০০০ আৰু ২০০১-২০০২ চনৰ সময়ছোৱাত সম্পন্ন কৰিছিল। ফলস্বৰূপে মালিনীথান আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বিষয়ে আৰু বহুতো নতুন তথ্য পোহৰলৈ আহে।[৪৯]

২০০৫ চনৰ ৪ এপ্ৰিল তাৰিখে এই লেখকক ধৰি চুতীয়া বুৰঞ্জী সম্পাদনা সমিতিৰ এটা দলে মালিনীথান পৰিদৰ্শন কৰোঁতে দেখা গৈছিল যে অৰুণাচল প্ৰদেশ চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগে মালিনীথানৰ ধ্বংশাৱশেষবোৰ অতি সুন্দৰকৈ সংৰক্ষণ কৰিছে। দেৱ-দেৱীৰ বহুতো মূৰ্ত্তি আৰু ভগ্নাৱশেষৰ মাজত পোৱা বিভিন্ন সা-সামগ্ৰী থানৰ গাতে লাগি থকা সংগ্ৰহালয়ত ৰখা হৈছে।

মালিনীথানত মুঠতে তিনিটা মন্দিৰৰ পৃষ্ঠ পোৱা গৈছে। মূল মন্দিৰটোৰ পীঠখন অক্ষত অৱস্থাতে আছে। এই পীঠখন সুনিৰ্দিষ্ট আকাৰত কটা শিল, পাথৰ, বালি আৰু মিহি মাটিৰ মিশ্ৰণেৰে সজা হৈছে। কৰালৰ সলনি শিল-পাথৰবোৰ ধৰি ৰাখিবলৈ লোৰ শলখা, শলা আৰু পিন্ ব্যৱহাৰ কৰা হৈছে। ডাঙৰ ডাঙৰ শিলৰ টুকুৰাবোৰ সমান্তৰালভাৱে স্থাপন কৰা হৈছে। মন্দিৰপৃষ্ঠৰ কাষতে শিলত কটা পানী ওলাই যোৱা এটা নলা আৱিষ্কৃত হৈছে। মালিনীথানৰ ধ্বংসাৱশেষবোৰৰ মাজত বিভিন্ন আকাৰৰ বহুকেইটা স্তম্ভৰ ভগ্নাৱশেষ আছে। এইবোৰৰ উপৰি কেইবাটাও স্তম্ভপৃষ্ঠ পোৱা গৈছে। সেইবিলাক প্ৰধানতঃ চক্ৰাকাৰ। ধ্বংসাৱশেষবোৰৰ মাজত ভাস্কৰ্যখচিত কেইটামান দুৱাৰৰ খুটা আৰু চৌকাঠো পোৱা গৈছে। মালিনীথানৰ সকলোবোৰ মূৰ্ত্তিয়েই শিলত কটা। ক'তো ইটাৰ ব্যৱহাৰ দেখা নাযায়। ইয়াৰ ভগ্নাৱশেষবোৰৰ মাজত দেৱ-দেৱীৰ উপৰি ঋষি-মুনি, অপ্সৰা, গন্ধৰ্ব আদি বিভিন্ন ভাস্কৰ্য পোৱা গৈছে। বিশেষভাৱে উল্লেখযোগ্য ভাস্কৰ্যবিলাকৰ ভিতৰত ঐৰাৱতত বহি থকা ইন্দ্ৰ, ময়ুৰৰ পিঠিত উঠি থকা কাৰ্ত্তিক, ৰথৰ ওপৰত সূৰ্য, নিগনিৰে গণেশৰ নৃত্যৰত মূৰ্ত্তি, দুৰ্গা, লক্ষ্মী, সৰস্বতী, ৰাধা-কৃষ্ণ, ক্ষুদ্ৰাকৃতিৰ বৰাহ মূৰ্ত্তি আদিলৈ আঙুলিয়াব পাৰি। শিৱৰ মূৰ্ত্তি পোৱা হোৱা নাই যদিও শিৱৰ বাহন নন্দীৰ এটা সুন্দৰ আৰু বিশাল মূৰ্ত্তি পোৱা গৈছে। তদুপৰি যক্ষ, কিন্নৰ, হাতী, শিৱলিঙ্গ খোদিত থকা স্তম্ভ আদি বিভিন্ন ভাস্কৰ্য পোৱা গৈছে। মূৰৰপৰা কঁকাললৈ মানৱ মূৰ্ত্তিও পোৱা গৈছে। বিভিন্ন মূৰ্ত্তিৰ

---

[৪৮] For details see - L.N. Chakravarty, 'Malinithan', **Resarun'75**, DRAP, Shillong, 1976,pp.1-7।

[৪৯] For details see - Tage Tada & B.J. Das, **A Descriptive Account of the Sculptures of Malinithan**, DRAP, Itanagar, 2003,pp.21ff.



হাতত ফুল, বাদ্যযন্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ, ফুলকটা নক্সা আদি দেখা যায়।

মালিনীথানৰ মন্দিৰ জাগ্ৰত বুলি এতিয়াও মানুহে পূজা-সেৱা আগবঢ়ায়। পুৰণি মূল মন্দিৰপৃষ্ঠৰ ধ্বংসাৱশেষৰ কাষতে এটি মন্দিৰ পূজা-সেৱাৰ বাবে ১৯৬৮ চনত নতুনকৈ নিৰ্মাণ কৰি দিয়া হৈছে।[৫০] এই মন্দিৰৰ উপাস্য দেৱী দুৰ্গা। জনবিশ্বাস অনুসৰি মনোকামনা পূৰণৰ অৰ্থে ভক্তগণে এই মন্দিৰলৈ জীৱ-জন্তু আগ কৰে আৰু মন্দিৰত দান দিয়ে।[৫১]

মালিনীথানত প্ৰতিবছৰে মাৰ্চ-এপ্ৰিল মাহত বাসন্তী পূজা (দুৰ্গাপূজাৰে আন এটা ৰূপ) পতা হয় আৰু তাৰ লগত ৰজিতা খোৱাকৈ মালিনী মেলা অনুষ্ঠিত হয়। জানুৱাৰী মাহৰপৰা মকৰ-সংক্ৰান্তিও ইয়াত উদ্‌যাপন কৰা হয়। সেই সময়ত ওচৰতে অৱস্থিত আকাশীগঙ্গাত স্নান কৰি আহি ভক্তসকলে মালিনীথানত পূজা-সেৱা আগবঢ়ায়। কেৱল বাসন্তী পূজা আৰু মকৰ-সংক্ৰান্তিতে নহয়, গোটেই বছৰ জুৰি মানুহে মালিনীথানৰ মন্দিৰ দৰ্শন কৰা দেখা যায়।

মালিনীথানৰ ওচৰেদি মালিনীনলা নামে এটি জুৰি বৈ গৈছে। তাৰো প্ৰায় পাঁচ কিলোমিটাৰমান দক্ষিণলৈ আছে মহাবাহু ব্ৰহ্মপুত্ৰ।

মালিনীথানৰ ঐতিহ্য আৰু ইয়াৰ লগত জড়িত কিংবদন্তি ইতিমধ্যে প্ৰথম অধ্যায়ত বৰ্ণনা কৰি অহা শ্ৰীকৃষ্ণৰ আখ্যানৰ সৈতে জড়িত। সেই আখ্যানমতে, শ্ৰীকৃষ্ণই বিদৰ্ভ ৰজা ভীষ্মকৰ জীয়ৰী ৰুক্মিণীক হৰণ কৰি দ্বাৰকালৈ নিওঁতে বৰ্তমানৰ মালিনীথান থকা ঠাইতে জিৰণি লৈছিল। তেতিয়া সেই ঠাইতে মহাদেৱে শিৱ আৰু তেওঁৰ পত্নী দুৰ্গা (পাৰ্বতী)-ই এখন ফুলৰ বাগিছাৰ মালি-মালিনীৰ ৰূপ ধৰি আছিল। শ্ৰীকৃষ্ণ-ৰুক্মিণী গৈ সেই ঠাই পোৱাৰ লগে লগে পাৰ্বতীয়ে তেওঁলোকক বচা-বচা সুন্দৰ ফুলৰ মালাৰে সম্ভাষণ জনাই অতিথি আপ্যায়ন কৰিছিল। এই কাৰ্যত সন্তুষ্ট হৈ ভগৱান শ্ৰীকৃষ্ণই পাৰ্বতীক **মালিনী** বুলি সম্বোধন কৰিছিল আৰু কৈছিল যে তেতিয়াৰপৰা তেওঁ এই নামেৰে জনাজাত হ'ব। সেই সময়ৰেপৰা ঠাইখনৰ নাম মালিনীথান (মালিনী থকা স্থান) নামে প্ৰখ্যাত হৈ পৰে। এই কাহিনীটোৰ মতে শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহ শিৱ-পাৰ্বতীৰ সাক্ষাতত মালিনীথানতে সম্পন্ন হৈছিল।[৫২]

মালিনীথানৰ প্ৰায় দুশ মিটাৰ উচ্চতাত ৰুক্মিণী মন্দিৰ আৰু তাৰো ওপৰলৈ প্ৰায় সাত কিলোমিটাৰমান আঁতৰত আকাশীগঙ্গা[৫৩] জনবিশ্বাস অনুসৰি মালিনীথানত

---

[৫০] J.C. Dutta, *op.cit.*, p.65.

[৫১] মালিনীথান পৰিদৰ্শনৰ সময়ত ডিব্ৰুগড় জিলাৰ মৰাণৰ ওচৰৰ পঠালিবাম গাঁৱৰ এজন লোকে জীয়েকক লগত লৈ তেওঁলোকৰ মনোকামনা পূৰণৰ অৰ্থে মন্দিৰৰ দেৱীলৈ পাৰ চৰাই আগ কৰি দিয়াৰ কথা তেওঁলোকৰ সৈতে কথা পাতি গম পোৱা গৈছিল।

[৫২] **দেৱী**, পৃঃ ২৪৫

[৫৩] এটা পাহাৰৰপৰা তলৰ কুণ্ডত বৰষুণৰ দৰে জলাধাৰ পৰা স্থান অৰ্থাৎ জলপ্ৰপাত। ভক্তসকলে এই আকাশীগঙ্গাত স্নান কৰে। জনশ্ৰুতি মতে এই ঠাইৰ ওচৰত এসময়ত এটা মন্দিৰ আছিল।

শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ বিবাহ হৈ যোৱাৰ পিছত বৰ্তমানৰ ৰুক্মিণী মন্দিৰ থকা স্থানতে দুয়ো এনিশা জিৰণি লৈছিল। পিছদিনা ৰাতিপুৱা দুয়ো আকাশীগংগাৰ নিৰ্মল জলধাৰাত স্নান কৰি আহি দৈনিক ধৰ্মীয় কৰ্মৰাজি সম্পন্ন কৰে আৰু দ্বাৰকালৈ গুচি যায়। তেতিয়াৰেপৰা সেই ঠাই পবিত্ৰৰূপে পৰিগণিত হয়। তেওঁলোক গুচি যোৱাৰ পিছত শিৱ-পাৰ্বতীয়ে ভক্তৰ অনুপস্থিতি উপলব্ধি কৰে আৰু তেওঁলোকৰ স্থায়ী বাসস্থান কৈলাসলৈ গুচি যায়।

সৰ্ব্বেশ্বৰ বৰুৱাদেৱে মালিনীথানক **কালিকা পুৰাণ**ত উল্লেখিত কামৰূপৰ পূবৰ শক্তি পীঠস্থান বুলি চিনাক্ত কৰিছে।[৫৪] কথিত আছে যে মহাদেৱ শিৱই সতী (পাৰ্বতী)-ৰ মৃতদেহ লৈ পৃথিৱীখন ঘূৰি ফুৰোঁতে ভগৱান বিষ্ণুৱে তেওঁৰ চক্ৰৰে সতীৰ মৃতদেহটো কাটি একাৱন্ন টুকুৰা কৰিছিল। এই টুকুৰাবোৰ যি যি ঠাইত পৰিছিল, সেই সকলোবোৰেই এসময়ত একো একোখন তীৰ্থস্থানত পৰিণত হৈছিল। সতীৰ মৃতদেহৰ মূৰৰ অংশটো আকাশীগংগাৰ ওচৰত (মালিনীথানত) পৰিছিল বুলি বিশ্বাস কৰা হয় আৰু এনেকৈয়ে মালিনীথানো বিভিন্ন শক্তিপীঠৰ ভিতৰত এখন প্ৰধান পীঠ ৰূপে পৰিগণিত হয়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে কামৰূপৰ পূবলৈ মালিনীথানৰ বাহিৰে আৰু কোনো উল্লেখযোগ্য শক্তিপীঠ নাই, য'ত সেইগৰাকী দেৱীক হিন্দু ৰীতি-নীতিৰে উপাসনা কৰা হয়।[৫৫] সদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰো কামৰূপৰ পূবত অৱস্থিত এখন শক্তিপীঠ হ'লেও সেই পীঠত কিন্তু চুতীয়াসকলৰ পূজাৰী দেউৰীসকলেহে তেওঁলোকৰ ৰীতি-নীতি অনুসৰি পূজা-পাতল কৰিছিল।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে কোনো ফলি বা সাহিত্যত মালিনীথানৰ বিষয়ে বিৱৰণ পোৱা হোৱা নাই। প্ৰত্নতাত্ত্বিকসকলৰ কোনো কোনোৱে ইয়াৰ ভগ্নাৱশেষবোৰ দশম-একাদশ শতিকা আৰু কোনো কোনোৱে তেৰ-চৈধ্য শতিকাৰ ভিতৰত পেলাইছে। এই কালছোৱাত এই অঞ্চলটো চুতীয়া ৰাজ্যৰ অন্তৰ্গত আছিল। গতিকে মালিনীথানৰ নিৰ্মাণ কাৰ্যও স্বাভাৱিকতে চুতীয়াসকলৰ ৰাজত্বকালতে সম্পন্ন হৈছিল।

## হাৰ্হি দেৱালয়

হাৰ্হি দেৱালয় লক্ষীমপুৰ জিলাৰ এখন অন্যতম প্ৰাচীন আৰু প্ৰসিদ্ধ শাক্ত পীঠ। এই দেৱালয়খন লক্ষীমপুৰ জিলাৰ অন্তৰ্গত ঢকুৱাখনা চহৰৰপৰা ৪ (চাৰি) কিঃমিঃ উত্তৰ-পূবে ঢকুৱাখনা-ধেমাজি গড়কাপ্তানী পথৰ দাঁতিত সাঁহি বা হাৰ্হি নদীৰ পাৰত অৱস্থিত। হাৰ্হি দেৱালয়ৰ প্ৰকৃত ইতিহাস স্পষ্ট নহয় যদিও দেৱালয়খনত সংৰক্ষিত বিভিন্ন পুৰণি সম্পদসমূহৰ লগতে ঢকুৱাখনা অঞ্চলত প্ৰচলিত জনশ্ৰুতি সমূহৰ পৰা

[৫৪] **পবিত্ৰ অসম**, পৃঃ ২৪।

[৫৫] J.C. Dutta, *op.cit.*, p.8.



এই দেৱালয়খনৰ ইতিহাসৰ আভাস পোৱা যায়।[৫৬] ঢকুৱাখনা অঞ্চলত প্ৰচলিত জনশ্ৰুতিত পোৱা মতে হাৰ্হি শব্দটো পূৰ্বতে সাৰ্হি আছিল।[৫৭] এই অঞ্চলৰ লোকসকলে 'সাৰ্হি' শব্দটো জাগ্ৰত অৰ্থত ব্যৱহাৰ কৰে। শব্দটো অৱশ্যে কোন ভাষাৰ তাক বুজা নাযায়। গতিকে জাগ্ৰত গোসাঁনীৰ থান বুলিয়েই অতীতৰপৰা এই দেৱালয়খনত পূজা-সেৱা চলি আহিছে।

জনশ্ৰুতি মতে এই দেৱালয়ৰ অধীস্থাত্ৰী দেবী গৰাকীয়েই হৈছে পূৰ্বৰ চুতীয়াসকলৰ আৰাধ্য দেৱী সদিয়াৰ বিখ্যাত তাম্ৰেশ্বৰী মন্দিৰৰ কেঁচাইখাঁতী গোসাঁনী বা দেৱী দিক্কৰবাসিনী। আহোম চুতীয়াৰ শেষ ৰণত চুতীয়াসকল পৰাস্ত হোৱাত দেৱালয়ৰ নিৰাপত্তা তথা দেৱী পূজাত ব্যাঘাত জন্মাৰ আশংকা কৰি এই দেৱালয়ৰ দেউৰীসকলে আৰাধ্য দেৱীৰ বিগ্ৰহৰ লগতে শিৱ, দূৰ্গা, গঙ্গা, মনসা, গণেশ আদি শিলামূৰ্ত্তি আৰু বলিকটা দা, পূজাৰ অন্যান্য সামগ্ৰী আনকি দেৱালয়ৰ লগত জড়িত বিভিন্ন বৃত্তিধাৰী মানুহকো লগত লৈ লুইতেদি নাঁৱত ভটিয়াই আহি ঢকুৱাখনা (তেতিয়াৰ হাবুং) অঞ্চল পাইহি আৰু সেই অঞ্চলতে বিগ্ৰহ প্ৰতিষ্ঠা কৰি নিয়মিতভাৱে পূজা-অৰ্চনা কৰিবলৈ লয়। আন এক জনশ্ৰুতি মতে, আহোম-চুতীয়াৰ যুদ্ধৰ ফলস্বৰূপে ৰাজ্যত উদ্ভৱ হোৱা অশান্তিময় পৰিস্থিতিত কেঁচাইখাঁতী গোসাঁনীয়ে এডোখৰ শিলাৰূপে লুইতেদি ওপঙি আহি হাবুং অঞ্চল পায়হি। স্থানীয় মানুহে সেয়া দেৱী কেঁচাইখাঁতী বুলি জানিব পাৰি ভক্তিভাৱে পূজা-পাতল কৰিবলৈ লয় আৰু দেৱীয়েও তাতে তেতিয়াৰ পৰা থিতাপি লয়।

প্ৰচলিত জনশ্ৰুতি দুটাৰ তাৎপৰ্য মোটামোটিভাৱে একেই। কিংবদন্তি দুটাৰ সাৰমৰ্ম বিচাৰ কৰিলে বুজা যায় যে এই দেৱালয়খন চুতীয়া ৰাজ্যৰ পতনৰ সময়ত ৰাজ্যত হোৱা অৰাজকতাৰ কালছোৱাত ৰাজ্য এৰি পলাই যোৱা পূজাৰীসকলৰ হাতত গঢ়ি উঠিছিল। অৱশ্যে, পৰৱৰ্ত্তী কালত দেৱালয়খনে আহোম স্বৰ্গদেৱসকলৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪ খ্ৰীঃ), শিৱসিংহ (১৭১৪-১৭৪৪ খ্ৰীঃ) আৰু লক্ষীসিংহ (১৭৬৯-১৭৮০ খ্ৰীঃ)-স্বৰ্গদেৱে হাৰ্হি দেৱালয়লৈ দেৱোত্তৰ মাটিৰ লগতে বহুতো সম্পত্তি আৰু দেৱ-দেৱীৰ মূৰ্ত্তি দান কৰিছিল। সেইবোৰ এতিয়াও আছে। স্বৰ্গদেৱ শিৱসিংহৰ প্ৰদত্ত ভূমিদানৰ তাম্ৰ শাসন এখনো আজি অলপ দিনলৈকে আছিল বুলি বৰ্তমান পূজাৰী নন্দ বৰঠাকুৰে কৈছিল। পিছে সেইখন তেখেতে এতিয়া হেৰাল বুলি জানিবলৈ দিয়ে।

[৫৬] ক্ষেত্ৰ অধ্যয়নৰ কালত লগ পোৱা হাৰ্হি দেৱালয়ৰ বৰ্তমানৰ পূজাৰী শ্ৰীনন্দ বৰঠাকুৰ আৰু শ্ৰী মহেন্দ্ৰ বড়াৰ প্ৰমুখ্যে স্থানীয় ব্যক্তিসকলৰ পৰা এই দেৱালয়লৰ সম্পৰ্কে কিছু কথা আমাৰ অৱগত হয়।

[৫৭] সাৰ্হি দেৱালয়ক এতিয়া হাৰ্হি দেৱালয় বোলে; তাকে উচ্চাৰণ ভেদে কোনোৱে "হাইহি" বোলে। (মহেশ্বৰ নেওগ সম্পাদিত, **পবিত্ৰ অসম**, অসম সাহিত্য সভা, ১৯৬০, পৃঃ ৭)।

বুলিব পাৰোঁ, য'ত অনুন্নত আৰু উন্নতশীল এই দুয়োটা উপাদানৰে অপূৰ্ব সমন্বয় ঘটিছে আৰু ইয়াৰ বহল বুকুত আৰ্য আৰু অনাৰ্য, হিন্দু আৰু অহিন্দু সকলোৰে মিলি ভাৰতীয় সভ্যতা সংস্কৃতিৰ অবিচ্ছেদ্য অংগ হিচাপে অসমীয়া সংস্কৃতি আৰু সভ্যতা গঢ়ি তুলিছে। এই পটভূমিতে চুতীয়াসকলৰ ৰাজনৈতিক আৰু সামাজিক-সাংস্কৃতিক বুৰঞ্জী প্ৰণয়নৰ প্ৰয়াস কৰা হৈছে।

## চুতীয়া বুৰঞ্জী ৰচনাৰ সমল

নিৰ্ভৰযোগ্য তথ্যৰ ওপৰত ভিত্তি কৰি কোনো এটা জাতি বা কোনো এখন দেশৰ বিজ্ঞানসন্মত বুৰঞ্জী ৰচনা কৰা হয়। যিবিলাক জাতিয়ে নিজৰ ৰাজনৈতিক উত্থান-পতন আৰু সভ্যতা-সংস্কৃতিৰ বিৱৰণ লিখি থৈ গৈছে তেওঁলোকৰ বুৰঞ্জী ৰচনাত বিশেষ অসুবিধা নহয়। উদাহৰণস্বৰূপে, গ্ৰীক, ৰোমান, চীনা, আৰব আৰু টাই সকলে অতি প্ৰাচীন কালৰেপৰা নিজ নিজ বুৰঞ্জী ৰচনা কৰি আহিছে। আমাৰ ভাৰতবৰ্ষত কিন্তু বুৰঞ্জী বুলিলে আমি আজি যি অধ্যয়ন বুজো, সেই অৰ্থত প্ৰাচীন কালত কোনো বুৰঞ্জী লিখা হোৱা নাছিল। অন্তঃ মধ্যযুগৰ আৰম্ভনি কাল পৰ্যন্ত। কেৱল কাশ্মীৰতহে বুৰঞ্জী লিখা পৰম্পৰা এটা আৰম্ভ হৈছিল প্ৰাচীন যুগৰ শেষৰ ফালে। ১১৩৯ খ্ৰীঃত ৰচিত কলহনৰ **ৰাজতৰঙ্গিনী** খন আছিল এই ক্ষেত্ৰত একমাত্ৰ উল্লেখনীয় ইতিহাস গ্ৰন্থ। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰাচীন ভাৰতীয়সকলৰ কোনো ইতিহাস চেতনা নাছিল। শুদ্ধ বুৰঞ্জী নিলিখিলেও বুৰঞ্জীগন্ধী অনেক গ্ৰন্থ প্ৰাচীন ভাৰতত ৰচিত হৈছিল। এইবিলাকৰ ভিতৰত অশ্বঘোষৰ **বুদ্ধচৰিত**, বিলহনৰ **বিক্ৰমাংকদেৱ চৰিত** আৰু বাণভট্টৰ **হৰ্ষচৰিত**ৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। আখ্যানমূলক হ'লেও **মহাভাৰত**, **ৰামায়ণ** আৰু **পুৰাণ**সমূহতো বুৰঞ্জীৰ অনেক তথ্য পোৱা যায় আৰু এইবোৰ গ্ৰন্থ অধ্যয়ন নকৰাকৈ প্ৰাচীন ভাৰতৰ ইতিহাস ৰচনা কৰিব নোৱাৰি। অসমত বুৰঞ্জী ৰচনাৰ পৰম্পৰা তেৰ শতিকাৰ আগভাগত আহোমসকল অহাৰপৰা আৰম্ভ হয়।

বুৰঞ্জী ৰচনাৰ সমলসমূহক ঘাইকৈ দুভাগত বিভক্ত কৰিব পাৰিঃ সাহিত্যিক আৰু প্ৰত্নতাত্ত্বিক। চুতীয়া বুৰঞ্জী অধ্যয়নৰ ক্ষেত্ৰতো এই দুই প্ৰকাৰৰ সমলেই পোৱা যায়।

**সাহিত্যিক সমল ঃ**

**বুৰঞ্জী সাহিত্য ঃ** অসম ভূমিত প্ৰবেশ কৰিয়ে আহোম ৰাজ্য প্ৰতিষ্ঠাতা স্বৰ্গদেউ চুকাফাই লগত অহা পণ্ডিতসকলক আদেশ দিছিল, 'যি মৰে, যাক পাওঁ, যাক হেৰুৱালো, পণ্ডিতে লিখি থব।'[৮৮] সেই দিন ধৰি ছশ বছৰীয়া আহোম ৰাজত্বত অনেক বুৰঞ্জী ৰচনা

[৮৮] **সাতসৰী অসম বুৰঞ্জী**, সম্পাদিত সূৰ্য্য কুমাৰ ভূঞা, গুৱাহাটী,১৯৬৪,পৃঃ৩



কৰা হৈছিল। সকলো ৰাজনৈতিক ঘটনাৰ বিৱৰণ যাতে শুদ্ধভাৱে লিপিবদ্ধ হয় তাৰ প্ৰতিও আহোম স্বৰ্গদেৱসকলে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিছিল। ৰাজঘৰীয়া বুৰঞ্জীৰ বাদেও কোনো কোনো সম্ভ্ৰান্ত আহোম পৰিয়ালৰ লোকেও নিজে বুৰঞ্জী ৰচনা কৰিছিল বা তেওঁলোকৰ তত্বাৱধানত এই কাম সম্পাদন কৰিছিল। নিজৰ ৰাজ্যৰ বাহিৰেও তেওঁলোকে কাছাৰ, জয়ন্তীয়া, ত্ৰিপুৰা আদি দাঁতিকাষৰীয়া ৰাজ্য আৰু আনকি ভাৰতবৰ্ষত তুৰ্কী-আফগান আৰু মোগল ৰাজত্বৰ কিছুমান ঘটনা লিপিবদ্ধ কৰিও বুৰঞ্জী ৰচনা কৰিছিল। **বুৰঞ্জী** শব্দটোৱেই টাই ভাষাৰপৰা অহা আৰু ইয়াৰ অৰ্থ হ'ল 'অজ্ঞজনৰ শিক্ষাৰ ভঁড়াল'। প্ৰথমতে আহোম ভাষাত বুৰঞ্জীবোৰ ৰচনা কৰা হৈছিল। কিন্তু ১৫২৪ খ্ৰীঃত চুতীয়া ৰাজ্য জয় কৰাৰ পিছৰেপৰা টাই আৰু অসমীয়া দুয়োটা ভাষাতে অনেক বুৰঞ্জী প্ৰণয়ণ কৰা হৈছিল। অসম বুৰঞ্জীৰ প্ৰকাৰ আৰু সংখ্যাত তবধ মানি **Linguistic Survey of India** ৰ সঞ্চালক গ্ৰীয়েৰচন (Grierson) চাহাবে কৈছিল যে 'অসমীয়াসকলে যথাৰ্থতে তেওঁলোকৰ জাতীয় সাহিত্যক লৈ গৌৰৱ কৰিব পাৰে, যিটো বিষয়ত সমগ্ৰ ভাৰতবৰ্ষ অনগ্ৰসৰ সেইটো বিষয়তে তেওঁলোক অতি আগবঢ়া'।[৮৯]

আহোমসকলকে অনুকৰণ কৰি পিছলৈ কোঁচসকলেও তেওঁলোকৰ বুৰঞ্জী ৰচনা কৰিছিল। গোভা, ডিমৰুৱা, ৰাণী আদি সৰু সৰু কৰতলীয়া ৰাজ্যৰ শাসকসকলো পিছপৰি থকা নাছিল আৰু তেওঁলোকেও নিজ নিজ বুৰঞ্জী ৰচনা কৰিবলৈ লৈছিল। কিন্তু চুতীয়াসকলৰ মাজত ৰাষ্ট্ৰগঠন প্ৰক্ৰিয়া আহোমসকল অহাৰ বহু আগতে আৰম্ভ হৈছিল যদিও বুৰঞ্জী ৰচনাৰ কোনো পৰম্পৰা তেওঁলোকৰ মাজত নাছিল আৰু আহোমসকলৰ সংস্পৰ্শলৈ অহাৰ পিছতো তেওঁলোকে এই বিষয়ত বিশেষ গুৰুত্ব দিয়া নাছিল যেনেই লাগে। অৱশ্যে আহোমৰ প্ৰায়বোৰ বুৰঞ্জীতে চুতীয়াসকলৰ বিষয়ে উল্লেখ আছে। পিছৰ ফালে আহোমসকলক অনুকৰণ কৰি চুতীয়া সম্ভ্ৰান্ত শ্ৰেণীৰ কোনো কোনো সদস্যই নিজ বংশাৱলী লিখিবলৈ চেষ্টা কৰা দেখা যায়। তেনে এখন বংশাৱলীকে উইলিয়াম ৰবিনচন (William Robinson) চাহাবে **চুটিয়া ৰজাৰ বংসাৱলি** শিৰোনামেৰে অৰুনোদই কাকতত প্ৰকাশ কৰিছিল।[৯০] উইলিয়াম ৰবিনচনৰ ভাষাত 'অনেক দেশৰ লোকে আপোনাৰ ৰজা-দেৱতাৰ বংস বুলি সিবিলাকৰ অৰ্থে জি ৰূপে অনেক উপকথা গপ কৰি সাজি বুৰঞ্জিত সুমুআই লিখে, সেই ৰূপে চুটিয়াবিলাকেও আপোনাৰ ৰজাৰ বংসাৱলি বৰ্নালে। সিহঁতৰ এক পুৰনি বংসাৱলি পাই তলত লিখিচোঁ।'[৯১] এইখন বংশাৱলীকে ড° সূৰ্যকুমাৰ ভূঞাই 'চুটিয়াৰ কথা' নাম দি তেওঁৰ সম্পাদিত **দেওধাই অসম বুৰঞ্জী** (১৯৩২ খ্ৰীঃ)ত প্ৰকাশ কৰিছিল। এই বিৱৰণৰ লগতে সুকুমাৰ মহন্তৰ

[৮৯] Vol.i,1903, Intro.,p.156.

[৯০] ডিচেম্বৰ ১৮৫০, পঞ্চম খণ্ড, দ্বাদশ সংখ্যা,পৃঃ৯৭-১০০

[৯১] ঐ, পৃঃ ৯৭

হাৰ্হি দেৱালয়ত দুই প্ৰকাৰৰ মূৰ্ত্তি আছে। এবিধ পাথৰ বা শিলাৰ আৰু আনবিধ ধাতুৰ। ইয়াত দুৰ্গা, মনসা, লক্ষ্মী, সৰস্বতী আদি দেৱী মূৰ্ত্তিৰ লগতে বিষ্ণু, শিৱ, গণেশ আৰু গৰুড়ৰ মূৰ্ত্তি আছে। সৰহ সংখ্যক মূৰ্ত্তিয়েই কেইবাবিধো ধাতুৰ সংমিশ্ৰনেৰে অতি সুন্দৰকৈ নিৰ্মাণ কৰা। এই দেৱালয়ত থকা সম্পদবোৰৰ ভিতৰত উল্লেখনীয় হ'ল পুৰণি কালৰ তেৰখন বলি কটা দা (প্ৰতিখনৰে ওজন প্ৰায় ১০-ৰপৰা ১২ কিঃগ্ৰাঃ পৰ্যন্ত হ'ব), সাঁচিপাতৰ এখন কীৰ্ত্তন পুথিৰ লগতে এখন শালগ্ৰাম মন্ত্ৰ পুথি প্ৰধান। যতদূৰ সম্ভৱ নৱ-বৈষ্ণৱ ধৰ্ম সম্প্ৰচাৰৰ কালছোৱাতে দেৱালয়খন ব্ৰাহ্মণ্য-বৈষ্ণৱবাদৰ ভিতৰত সোমায় আৰু কীৰ্ত্তন পুথিয়েও ইয়াত ঠাই পায়। ধাতু মিশ্ৰিত মূৰ্ত্তিবোৰো যতদূৰ সম্ভৱ পিছৰ যুগত ধৰ্ম বিশ্বাসীসকলৰেই দান আছিল। এইবোৰৰ উপৰিও এখন কেঁকোৰা দোলা, কিছুমান পুৰণি বাদ্যযন্ত্ৰ, বিভিন্ন ধাতুৰ বাচন-বৰ্তন, শৰাই, শঙ্খ, দবা, কালি, কাঠৰ বালিশাল আৰু কাঠৰ বিভিন্ন সামগ্ৰী আছে। উল্লেখযোগ্য যে অন্যান্য পুৰণি থান বা সত্ৰবোৰত থকাৰ দৰে এই দেৱালয়ত পুৰণি পুখুৰী, পাট কুঁৱা, চাৰি ঢাপ আদিৰ অৱস্থিতি থকাৰ কোনো চিন দেখা পোৱা নগ'ল।

শুনা যায় যে হাৰ্হি দেৱালয়ত পূৰ্বতে নৰ বলি দিয়া হৈছিল।[৫৮] বৰ্তমানেও এই দেৱালয়ত প্ৰতি বছৰে দূৰ্গা পূজাত ম'হ, ছাগলী, হাঁহ, পাৰ আৰু কোমোৰা আদি বলি দিয়া হয়। বহুতে আকৌ বিশেষকৈ চুতীয়া মানুহে ব'হাগ মাহত আৰু মাঘী পূৰ্ণিমাত এই থানলৈ জীৱ-জন্তুৰ লগতে শঙ্খ, গছা, পিতলৰ চাকি আদি পূজাৰ সামগ্ৰী আগবঢ়ায়।[৫৯]

দেৱালয়খনৰ পূজা-সেৱা পূৰ্বে দেউৰী পুৰোহিতে কৰিছিল যদিও বৰ্তমান দেউৰীসকলৰ ঠাইত বামুণ পুৰোহিতে সেই কাম কৰে। আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনৰেপৰা এই দেৱালয়ত পূজা-পাতলৰ দায়িত্ব বিদ্যাভূষণ বৰঠাকুৰ নামৰ এজন ব্ৰাহ্মণক অৰ্পণ কৰা হৈছিল বুলি বৰ্তমান পূজাৰীজনৰ পৰা জনা গৈছিল। তেওঁৰ মতে এই ব্ৰাহ্মণৰ বংশধৰসকলেই এতিয়াও দেৱালয়ৰ পূজা-পাতলৰ দায়িত্ব চম্ভালি আহিছে।[৬০] পূজাৰী নন্দ বৰঠাকুৰ আৰু স্থানীয় ৰাইজৰ মতে মানৰ আক্ৰমণৰ সময়লৈকে 'বৰদেউৰী' আৰু 'সৰুদেউৰী' নামৰ দুজন দেউৰী পুৰোহিত দেৱালয়খনৰ লগত জড়িত হৈ আছিল। কিন্তু সেইসময়ত কিবা কাৰণত তেওঁলোকে দেৱালয় এৰি তাৰ পৰা গুচি গ'ল। আন

---

৫৮ হাৰ্হি দেৱালয়ত নৰবলি হোৱাৰ কথা স্থানীয় মানুহৰ মাজত প্ৰচলন আছে। ক্ষেত্ৰ অধ্যয়নৰপৰা জানিবপৰা মতে হাৰ্হি দেৱালয়ৰ সমীপৰ গোৱাল গাঁৱত পূৰ্বতে বলিৰ চোৱা-চিতা কৰিবৰ বাবে এক শ্ৰেণী গোৱাল বৃত্তিধাৰী মানুহ বাস কৰিছিল। সেই কথাই হাৰ্হি দেৱালয়ত নৰবলি হোৱাৰ কথাকে প্ৰমাণ কৰে।

৫৯ ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ অন্তৰ্গত শাক্ত পন্থাত চলা বহুতো মানুহে বৰ্তমানেও মাঘি পূৰ্ণিমাত হাৰ্হি দেৱালয়লৈ শৰাই আগবঢ়াই আহিছে। (ক্ষেত্ৰ অধ্যয়নৰ টোকা)।

৬০ হাৰ্হি দেৱালয়ৰ পূজাৰীসকলৰ বংশাৱলীত তেওঁলোকৰ আদিপুৰুষ বিদ্যাভূষণ বৰঠাকুৰক স্বৰ্গদেৱ ৰুদ্ৰসিংহই এই দেৱালয়ৰ পূজাৰ দায়িত্ব অৰ্পণ কৰাৰ কথা উল্লেখ আছে। এইজনা স্বৰ্গদেৱে হাৰ্হি দেৱালয়লৈ ভূমি সম্পত্তি দান কৰাৰ লগতে ধাতুৰ মূৰ্তি আৰু অন্যান্য সম্পত্তি দান কৰিছিল বুলি স্থানীয় মানুহে কয়।



কিছুমানৰ মতে মানৰ আক্ৰমণৰ সময়ত উক্ত দেউৰী দুজনে দেৱালয়খনৰ এভাগ প্ৰধান বিগ্ৰহো লৈ যায়।

দেৱালয়খনৰ ওচৰতে 'দেৱলীয়া গাঁও' নামৰ এখন গাঁও আছে। কথিত আছে যে দেৱলীয়া গাঁৱৰ মানুহখিনি দেৱালয়খনৰ লগতে পূৰ্বে সদিয়াৰপৰা অহা। দেৱালয়ৰ লগত জড়িত হোৱা বাবে তেওঁলোকে বসবাস কৰা গাঁওখনো দেৱলীয়া/ দেও অলীয়া নামে জনাজাত হ'ল বুলি জনশ্ৰুতি আছে। পূজাৰ সময়ত দেওউঠা, বলিকটা ইত্যাদি কাম পৰম্পৰাগতভাৱে দেৱলীয়া গাঁৱৰ দুটা পৰিয়ালৰ লোকে কৰি আহিছে। এই পৰিয়াল দুটাক 'বৰদেও' আৰু 'সৰুদেও'ৰ পৰিয়াল বোলে। ক্ষেত্ৰ অধ্যয়নৰ সময়ত বৰদেও বংশৰ শ্ৰী মহেন্দ্ৰ চুতীয়াৰপৰা জানিব পৰা হৈছিল যে দূৰ্গাপূজাৰ বৰবলিৰ দিনা এই দুয়োটা পৰিয়ালৰ ভিতৰত কেতিয়াবা এজন আৰু কেতিয়াবা দুজনৰ গাত দেও লম্ভে। দেও উঠাৰ সময়ত তেওঁলোকৰ শৰীৰত এক অদৃশ্য অদম্য শক্তিয়ে স্থিতি লয়। সেই শক্তিৰ বলত দেও উঠাজন য'তেই নাথাকক তেওঁ গৈ দেওঘৰত উপস্থিত হয়হি আৰু সমবেত ভক্তগণেও তেওঁক দেও বুলি চিনি পায়। দেওঘৰত উপস্থিত হৈ ঢোল-খোলৰ চেৱে চেৱে না না ভঙ্গীৰে নৃত্য কৰি কৰি মাজে মাজে একোটা চিঞৰ মাৰি জপিয়াবলৈ ধৰে (বহুতে এই নৃত্য ভঙ্গীক দেওধনী নৃত্য বুলিও কয়)। নৃত্য কৰি থকা অৱস্থাতে পুৰোহিতৰ মন্ত্ৰপাঠ, ভকতৰ জয়ধ্বনি আৰু আয়তীৰ উৰুলিৰ মাজত দেৱীলৈ সেৱা জনাই হাতত আৰ্ঘ (বলি কটা দা) লৈ শালত সাজু কৰি ৰখা ম'হৰ ডিঙিত ঘাপ দিয়ে। ম'হৰ ডিঙি একেটা ঘাপতে চিঙি দাখন দুয়োহাতে ধৰি অলপ সময় দেৱীৰ বেদীৰ ফালে প্ৰণাম কৰে। এই সুযোগতে ভক্তগণে দাখনত লাগি থকা তেজৰ ফোট লবলৈ হেতা-ওপৰা লগায়। ইয়াৰ পিছতে ম'হৰ ডিঙিৰপৰা ওলোৱা তেজখিনি এটা ডাঙৰ পিতলৰ পাত্ৰত পৰে আৰু দেওউঠাজনে সেইতেজ তৎক্ষণাত পি খায় আৰু অৱশিষ্টখিনি প্ৰসাদৰ লগত মিহলাই দিয়ে। ইয়াকে 'কেঁচা প্ৰসাদ' বুলি কোৱা হয়। অৱশ্যে আজিকালি প্ৰসাদৰ লগত তেজ মিহলি নকৰে। এনেদৰেই ইটোৰ পিছত সিটো বলি কটা হয় আৰু প্ৰতিটো বলিৰে তেজ পি খোৱা হয়। এয়া অবিশ্বাস্য হ'লেও সত্য। বলিৰ তেজ পি খাই শেষ কৰাৰ পিছত নৃত্য কৰি দেওউঠাজন নামঘৰৰ মজিয়াত এটা সময়ত বাগৰি পৰে। সেই সময়ত উপস্থিত জনগণে মূৰত পানী ঢালি বিচনিৰে বিচি তেওঁক সুস্থ কৰে আৰু সকলোৰে দেওক ভূত-ভৱিষ্যতৰ কথা সোধে।

হাৰ্হি দেৱালয়ত আহোম যুগৰপৰা বৰ্তমানলৈকে শৃঙ্খলাবদ্ধ আৰু নিয়মিতভাৱে পূজা-পাতল চলি আহিছে। দূৰ্গা পূজাৰ সময়ত বহু দূৰ-দূৰণিৰপৰা এই দেৱালয়লৈ ভক্তৰ আগমণ ঘটে। স্থানীয় জনসাধাৰণে প্ৰতি বছৰে এই থানলৈ শৰাই, ফুল আদি আগবঢ়াই আহিছে। তেওঁলোকৰ বিশ্বাস দূৰ্গা পূজা নতুবা নতুন বছৰৰ আৰম্ভণিতে দেৱীলৈ শৰাই এখন আগ নকৰিলে তেওঁলোকৰ মনোকামনা পূৰ্ণ নহয়।

## ঘাৰমৰা সত্ৰ

ঘাৰমৰা সত্ৰ অসমৰ এখন অন্যতম উল্লেখযোগ্য সত্ৰ। এই সত্ৰখন লক্ষীমপুৰ জিলাৰ সদৰঠাই উত্তৰ লক্ষীমপুৰ চহৰৰপৰা তিনি কিঃমিঃ দক্ষিণ-পূৱত অৱস্থিত। প্ৰচলিত জনশ্ৰুতি, ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰসকলৰ বংশাৱলী আৰু ইয়াত থকা পুৰণিকলীয়া সম্পদসমূহৰপৰা[৬১] এই সত্ৰখন যে এখন অতি পুৰণি ধৰ্ম স্থান আছিল তাক অনুমান কৰিব পাৰি।

প্ৰচলিত জনশ্ৰুতি আৰু ঘাৰমৰা সত্ৰৰ বংশাৱলীমতে, এই সত্ৰখন প্ৰাক্-শঙ্কৰী যুগতে চুতীয়া ৰজাসকলৰ ৰাজত্বকালত আনুমানিক বাৰ শতিকা মানত প্ৰতিষ্ঠিত হৈছিল। জনশ্ৰুতি মতে ঘাৰমৰা সত্ৰখন পূৰ্বতে সদিয়াৰ কোনো এখন নদীৰ পাৰত এজন চুতীয়া ৰজাই প্ৰতিষ্ঠা কৰিছিল। কথিত আছে যে, কোনো এজন চুতীয়া ৰজাৰ দুই পুত্ৰই গৌড়ৰাজ্যৰ কোনো এক হিন্দু ৰজাৰ আশ্ৰয়ত থাকি শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়ছোৱাতে শংকৰীষণ নামৰ ব্ৰাহ্মণজনক লগ পাই আৰু তেওঁৰ পাণ্ডিত্যত দুয়ো ৰাজপুত্ৰ মুগ্ধ হয়। শিক্ষা গ্ৰহণৰ অন্তত ৰাজকুমাৰদ্বয় নিজ ৰাজ্যলৈ ঘূৰি আহে আৰু সময়ত বৃদ্ধ পিতৃয়ে ৰাজকাৰ্য চলাব নোৱাৰা হোৱাত জ্যেষ্ঠ ৰাজকুমাৰ ৰজা হয়। ৰজা হৈয়ে তেওঁ শিক্ষাভূমিত লগ পোৱা ব্ৰাহ্মণজনক নিজ ৰাজ্যলৈ নিমন্ত্ৰণ কৰি আনে আৰু তেওঁৰ বৃত্তিৰ আন কেইবাঘৰো মানুহো লৈ আহে। এই ব্ৰাহ্মণজনকে এক বিষ্ণু মূৰ্ত্তি দান কৰি সদিয়াৰ এখন নৈৰ পাৰত লগত অহা লোকসকলৰ সহিতে এখন সত্ৰ পাতি দি পূজা-অৰ্চনা কৰি থাকিবলৈ দিয়ে।[৬২] বৃদ্ধ বা ঘাই চুতীয়া ৰজায়ো সত্ৰলৈ আহি শংকৰীষণৰ ওচৰত ধৰ্মালোচনা কৰিবলৈ ললে আৰু নদীখনৰ পাৰতে এদিন ঘাই বা বৃদ্ধ ৰজাজনৰ মৃত্যু হোৱাৰ বাবে সত্ৰখনৰ লগতে নদীখনৰ নামো ঘাইমৰা নামে জনাজাত হ'ল। পিছলৈ মানুহৰ মুখ বাগৰি ঘাইমৰাৰ ঠাইত ঘাৰমৰা নামটোহে প্ৰচলন হয়।[৬৩]

**দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা' নামৰ খণ্ডটোত উল্লেখ আছে যে চুতীয়া ৰজা ৰত্নধ্বজপালে কমতাপুৰ ৰাজ্যৰ লগত মিত্ৰতা স্থাপন কৰি গৌড় ৰজাৰ লগতো এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰিছিল। ৰত্নধ্বজপালে তেওঁৰ এজন পুত্ৰক গৌড় ৰাজ্যত শিক্ষা গ্ৰহণৰ বাবেও পঠাইছিল।* সেই কথাৰ পৰা অনুমান কৰিব পাৰে যে

[৬১] চুতীয়া ৰজা আৰু আহোম স্বৰ্গদেৱসকলে বিভিন্ন সময়ত ঘাৰমৰা সত্ৰলৈ দান কৰা মূৰ্ত্তি, ঘন্টা আৰু শৰাই সফুৰাৰ লিপিৰ লগতে সত্ৰত সংক্ষিপ্ত বহুতো আপুৰুগিয়া হাচিপতীয়া পুথিসমূহৰ পৰা সত্ৰখনৰ অতীত ইতিহাসৰ ইঙ্গিত পোৱা যায়।

[৬২] ড° নিত্যানন্দ গগৈ, 'ঘাৰমৰা সত্ৰৰ ইতিবৃত্ত', **সত্ৰ সঞ্জীৱনী**, জুলাই ২০০৩, পৃঃ ১।

[৬৩] ঘাৰমৰা সত্ৰ সদিয়াৰ যিখন নদীৰ পাৰত প্ৰতিষ্ঠা হৈছিল সেই নদীখনক বৰ্তমান মুৰমূৰা বোলে। চাৰিনলমান বহল, পৰিস্কাৰ পানীৰ এই সৰু নৈখন বুঢ়াবুঢ়ী দেৱালয়ৰ কাষেদি বৈ আহি সদিয়া ঘাট আৰু কুণ্ডিল নৈৰ মাজত লোহিতত পৰিছে। (**সত্ৰ সঞ্জীৱনী**, পৃঃ ১)।

* **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা', পৃঃ ১৯৭।



জনশ্ৰুতিটো বোধহয় তথ্যৰ ওপৰতে প্ৰতিষ্ঠিত। ঘাৰমৰা সত্ৰৰ বংশাৱলীত শংকৰীষণৰ বংশলতাও ৰত্নধ্বজপালৰ ৰাজত্বকালৰপৰাই দেখুওৱা হৈছে।[৬৪] ঘাৰমৰা সত্ৰৰ বিষয়ে প্ৰচলিত জনশ্ৰুতিবোৰত কোনো চুতীয়া ৰজাৰ নাম উল্লেখ নাথাকিলেও এই সত্ৰখন যে চুতীয়াসকলৰ ৰাজত্ব কালতে প্ৰতিষ্ঠা হৈছিল সেই কথা সত্ৰত সংৰক্ষিত চুতীয়া ৰজা সত্যনাৰায়ণৰ প্ৰদত্ত বৃহৎ আকাৰৰ জয় ঘন্টাটোৱেই প্ৰমাণ কৰে। মিশ্ৰ ধাতুৰে নিৰ্মিত এই বৃহৎ ঘন্টাটোৰ ওজন প্ৰায় ২০ কিঃগ্ৰাঃ। ঘন্টাটোৰ ঠাৰিডালৰ ওপৰত নিম্নোক্ত আখৰকেইটা লিখা আছে -

'দেয় ৰাম
সত্যনাৰায়ণ,
ভূৱন ১৩.. ৰামচন্দ্ৰ।'

- ইয়াৰে ৰামচন্দ্ৰ শব্দটো আখৰৰ বিসঙ্গতিলৈ চাই পিছত লিপিবদ্ধ কৰা যেন অনুমান হয়। অন্যহাতে ১৩ সংখ্যা দুটাৰ পিছত আৰু দুটা সংখ্যা থাকিব লাগিছিল। সেয়া ক্ষয় যোৱা বাবে ধৰিব পৰা নহ'ল। সেই ক্ষয় যোৱা সংখ্যা দুটাই নিৰ্দিষ্ট কোনটো বছৰত ৰজা সত্যনাৰায়ণে ঘাৰমৰা সত্ৰলৈ এই ঘন্টা প্ৰদান কৰিছিল তাৰ সমিধান দিলেহেঁতেন। চুতীয়া বুৰঞ্জীত ৰজা সত্যনাৰায়ণৰ আনুমানিক ৰাজত্বকাল ১৩০০-১৩২২ শক বুলি ধৰা হৈছে।

উল্লেখযোগ্য যে অসমত সত্ৰানুষ্ঠান গঢ়ি উঠে শঙ্কৰদেৱৰ পিছত খ্ৰীঃ ১৭ শতিকাৰ পৰাহে। গতিকে, সদিয়া ৰাজ্যত প্ৰাক্-শঙ্কৰী যুগতে সত্ৰ এখন প্ৰতিষ্ঠা তথা সত্ৰৰ অৱস্থিতিৰ কথাটো বিচাৰ্যৰ বিষয়। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে প্ৰাক্-শঙ্কৰী কালছোৱাতো তান্ত্ৰিক-বৌদ্ধসকলৰ এক প্ৰকাৰৰ 'সত্ৰ' আছিল। অসমৰ গুৱাহাটীকে প্ৰমুখ্য কৰি কোনো কোনো ঠাইত তেনে সত্ৰ স্থাপন হৈছিল।[৬৫] ঘাৰমৰা সত্ৰখনো তেনে এক সত্ৰই আছিল যেন লাগে। সম্ভৱতঃ সেই সত্ৰখনেই পিছলৈ বৈষ্ণৱ পৰম্পৰা আৰু বৈষ্ণৱ সত্ৰাধিকাৰসকলৰ তত্বাৱধানলৈ আহি এখন বৈষ্ণৱ সত্ৰলৈ পৰিবৰ্তন হয়। বুৰঞ্জীত ঘাৰমৰা সত্ৰ এখন বৈষ্ণৱ তান্ত্ৰিক সত্ৰ বুলিয়ে উল্লেখ আছে।[৬৬]

ঘাৰমৰা সত্ৰৰ বংশাৱলী মতে শংকৰীষণৰ পৰৱৰ্তী পাঁচ পুৰুষ সদিয়াতে আছিল। ষষ্ঠ পুৰুষ বসুদেৱৰ দিনত আহোম-চুতীয়াৰ মাজত (১৫১৩-১৫২৩ খ্ৰীঃ) যুদ্ধ হোৱাত তেওঁ সত্ৰ সমন্বিতে বৃত্তিয়াল লোকজনসহ সদিয়া পৰিত্যাগ কৰি নিৰাপদ ঠাই বিচাৰি লুইতেদি ভটিয়াই আহি উত্তৰ পাৰৰ পাচিঘাটৰ সমীপৰ চেঙাজান ভঁৰালী গাঁৱত কিছুদিন বাস কৰে। পিছে, সত্ৰাধিকাৰ বসুদেৱে পৰ্বতীয়া জাতিসমূহৰ উপদ্ৰৱৰ বাবে চেঙাজানতো

[৬৪] সত্ৰসঞ্জীৱনী, পৃঃ ৫৯

[৬৫] Dr. D. Nath, 'Ambari Inscription Interpretation', Procedings of the North-East India History Association, D.U. 1999.

[৬৬] মহেশ্বৰ নেওগ সম্পাদিত **পবিত্ৰ অসম**, পৃঃ ৩১৬; সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ২৮০।

সুচল নেপাই বৰ্তমান ধেমাজি জিলাৰ অন্তৰ্গত বৰদলনী মৌজাৰ বৰবিলাহলৈ আহি তাতে সত্ৰ পাতি থাকে। এই ঠাইত সত্ৰ থকাৰ চিন স্বৰূপে বৰভেটি, পোতখোৱা পুখুৰী আদি এতিয়াও কিছুমান ঐতিহাসিক চিহ্ন দেখিবলৈ পোৱা যায়। স্থানীয় বাসিন্দাসকলেও পূৰ্বতে সেই ঠাইত মন্দিৰ নাইবা সত্ৰ থকাৰ কথা কয়। বৰবিলাহতে বসুদেৱ বৈকুণ্ঠগামী হয় আৰু পুত্ৰ কৃষ্ণদেৱেও তাতে ইহলীলা সম্বৰণ কৰে। কৃষ্ণদেৱৰ পুত্ৰ বিষ্ণুদেৱৰ দিনত সত্ৰখনি বৰ্তনামৰ ঘিলামৰা ৰাজহ চক্ৰৰ অন্তৰ্গত ধেনুখনা বিলৰ পাৰলৈ স্থানান্তৰিত হয়। তেতিয়াৰেপৰা সেই বিল আৰু কাষৰ ঠাইখনৰ নাম ঘাৰমৰা নামে প্ৰখ্যাত হয়। বৰ্তমান এই বিলখনক মাহধোৱা বিল বোলে। বিষ্ণুদেৱৰ পুত্ৰ জয়কৃষ্ণদেৱৰ দিনতে সম্ভৱতঃ ঘাৰমৰা সত্ৰখনে আহোম স্বৰ্গদেৱ (চুখাম্‌ফা বা খোৰাৰজাৰ (১৫৫৫-১৬০৩ খ্ৰীঃ)-ৰ পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু সত্ৰখনক এখন জাকত জিলিকা কৰি গঢ়ি তুলিছিল।[৬৭] জয়কৃষ্ণ অপুত্ৰক আছিল। সেই সময়তে আধলিয়াল বামুণৰ সন্তান যদুমণিদেৱে মাধৱদেৱৰ আজ্ঞাপৰ হৈ মাহৰা বিলৰ পাৰত সত্ৰ পাতিছিল। আধলিয়া যদুমণিদেৱ আৰু ঘাৰমৰা সত্ৰৰ জয়কৃষ্ণদেৱ একে গোত্ৰৰ ব্ৰাহ্মণ আছিল[৬৮] সেয়েহে তেওঁলোকৰ মাজত মিলা-মিচা আছিল। জয়কৃষ্ণ অপুত্ৰক হোৱা হেতু আধলিয়া যদুমণিদেৱৰ জ্যেষ্ঠ পুত্ৰ জগদানন্দক তিল-কোষ উচৰ্গি জয়কৃষ্ণদেৱে ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত কৰে। সেয়া আছিল ১৫১০ শকৰ কথা।[৬৯] হিতেশ্বৰ বৰবৰুৱাদেৱে যদুমণিদেৱৰ তৃতীয় পুত্ৰ পূৰ্ণানন্দদেৱেহে ঘাৰমৰা সত্ৰৰ অধিকাৰ হৈছিল বুলি উল্লেখ কৰিছে।[৭০] সি যি কি নহওক, তেতিয়াৰে পৰা এই সত্ৰখনিয়ে শঙ্কৰী কলা-কৃষ্টিৰ চৰ্চাৰে মহাপুৰুষীয়া সত্ৰলৈ ৰূপান্তৰিত হয়।

এইখিনিতে এটা মন কৰিবলগীয়া কথা হ'ল যে আহোম স্বৰ্গদেৱসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ সময়ছোৱাত হাবুং অঞ্চলত যিসকল পুৰণি ব্ৰাহ্মণ আছিল সেইসকলৰ ধৰ্মীয় কাম-কাজত সন্তুষ্ট নহৈ তেওঁলোকৰ ঠাইত কনৌজ আদি ঠাইৰপৰা ব্ৰাহ্মণ আনি

[৬৭] চুখাম্‌ফা বা খোৰাৰজাৰ ৰাজত্ব কাল (১৫৫২-১৬০৩ খ্ৰীঃ)-ত যদুমণিদেৱে মাহৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ জয়কৃষ্ণদেৱো যদুমণিদেৱৰ সমসাময়িক আছিল। স্বৰ্গদেৱ চুখাম্‌ফাই বৈষ্ণৱ সত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উদাৰতা দেখুৱাইছিল। "স্বৰ্গদেৱ খোৰাৰজাই যদিও প্ৰথমে দুৰ্গোৎসৱ পাতে, তত্ৰাচ তেওঁ * শ্ৰীমন্ত শংকৰদেৱ, * মাধৱদেৱ, * বংশীগোপালদেৱ, * অনিৰুদ্ধদেৱ, * ডবানকাগিৰি, হেঙুলীয়া, * যদুমণিদেৱ আদিক নানান ঠাইত সত্ৰ পাতি ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ সুবিধা দিয়ে। ৰজাই যদিও এই ভাগৱতী বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা নাছিল, তত্ৰাচ ভালেমান উচ্চ বিষয়াই (আহোম) এই ধৰ্ম গ্ৰহণ কৰে। স্বৰ্গদেৱে তেওঁলোকক নতুন ধৰ্ম গ্ৰহণ কৰাত কোনো হকা-বধা কৰা নাছিল। স্বৰ্গদেৱ খোৰাৰজাৰ উদাৰতাতে ভাগৱতী বৈষ্ণৱ ধৰ্ম আৰু পুনৰ শাক্ত ধৰ্ম উজনি অসমত শিপাই পৰে।" (সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ২৮৯।

[৬৮] ঘাৰমৰা সত্ৰৰ প্ৰতিষ্ঠাতা শঙ্কৰীষণ আৰু মাহৰা সত্ৰ প্ৰতিষ্ঠাতা যদুমণিদেৱ একে গোত্ৰৰ ব্ৰাহ্মণ আছিল। (ঘাৰমৰা সত্ৰৰ বংশাৱলী, **সত্ৰ সঞ্জীৱনী**, পৃঃ ৫৯)।

[৬৯] ড° নিত্যানন্দ গগৈ, 'ঘাৰমৰা সত্ৰৰ ইতিবৃত্ত', **সত্ৰ সঞ্জীৱনী**, পৃঃ ২।

[৭০] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ৫১২।



সেইসকলৰহে পৃষ্ঠপোষকতা কৰিছিল।[৭১] সম্ভৱতঃ সেইবাবেই বাসুদেৱ মূৰ্ত্তিৰ পূজাৰী হাবুঙীয়া শান্দিল্য গোত্ৰৰ বামুণ ৰবিদেৱ বাচস্পতিৰ বংশধৰসকলৰ পৰাও বাসুদেৱ মূৰ্ত্তিভাগ স্বৰ্গদেৱ জয়ধ্বংজ সিংহই বিশেষ কাৰণ নোহোৱাকৈয়ে শঙ্কৰদেৱৰ পৰিনাতি দামোদৰদেৱক অৰ্পণ কৰিছিল।[৭২] একেটা কাৰণতে ঘাৰমৰা তান্ত্ৰিক সত্ৰখনৰ দায়িত্বও (যদিও বংশাৱলীত জয়কৃষ্ণ অপুত্ৰক বুলি উল্লেখ আছে) কনৌজপৰীয়া আধলীয়া যদুমণিদেৱৰ বংশধৰক আহোম-স্বৰ্গদেৱসকলে অৰ্পণ কৰাটো অসম্ভৱ হ'ব নোৱাৰে। ঠিক সেইদৰে হাবুঙত অনেক ব্ৰাহ্মণ আছিল যদিও হাৰ্হি দেৱালয়ৰ পূজাৰ দায়িত্ব স্বৰ্গদেৱ ৰুদ্ৰসিংহই কনৌজপৰীয়া ব্ৰাহ্মণ বিদ্যাভূষণ বৰঠাকুৰকহে অৰ্পণ কৰিছিল।[৭৩]

জগদানন্দই সত্ৰৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰপৰাই ঘাৰমৰা সত্ৰখন আহোম স্বৰ্গদেৱসকলৰ অনুগ্ৰহত সকলো দিশতে উজ্জীৱিত হৈ উঠে। জগদানন্দৰ পিছৰ তৃতীয় পুৰুষ ৰামনাৰায়ণ অধিকাৰৰ দিনতেই ১৫১৮ শক (১৬৯৬ খ্ৰীঃ) -ত স্বৰ্গদেৱ ৰুদ্ৰসিংহই এটি ভূৱন মোহন মূৰ্ত্তি আৰু ৪,১৩১ হালিচা দেৱোত্তৰ মাটিৰসহ অন্যান্য সম্পদ সত্ৰলৈ আগবঢ়াইছিল।[৭৪]

ঘাৰমৰা বিলৰ পাৰত সত্ৰ থকা অৱস্থাতে ইয়াত ইটাৰে নিৰ্মিত এটি দ'ল, চৈধ্য কোঠলীয়া সত্ৰৰ পকীভেটি, আৰু সত্ৰসংযোগী কেইবাটাও আলি নিৰ্মাণ কৰাইছিল।[৭৫]

ৰামনাৰায়ণৰ নাতি বসুকৃষ্ণ অধিকাৰৰ দিনতই মানৰ আক্ৰমণ হয়। মানৰ আক্ৰমণ আৰু মানদোৱনীয়াৰ অত্যাচাৰত ঘাৰমৰা সত্ৰৰ পকী দ'ল আৰু নামঘৰৰো

[৭১] 'আহোম ৰজাই যেতিয়া এই দেশত আহি পোন প্ৰথমে সৌমাৰ খণ্ডত ৰাজ্য স্থাপন কৰেহি, আৰু তাৰ অনেক পূৰ্ববৰ্তী কালতো এই দেশত বামুণৰ বসতি আছিল; কিন্তু তেখেতসকলৰ বাজ্যিকভাৱে সংসৰ্গদোষৰ অনেক ভাঁজ লাগিছিল। আহোমৰ দিনৰ পূৰ্ববৰ্তী কালৰ বামুণবিলাকৰ বসতি বিশেষকৈ হাবুঙ্গত আছিল; সেই কাৰণেই সিবিলাকক "হাবুঙ্গীয়া বামুণ" বোলা হৈছিল। আহোম বিলাকে হিন্দু ধৰ্ম গ্ৰহণ কৰি হিন্দু ৰীতি-নীতি, নিয়ম-কানুন শিক্ষা কৰি হাবুঙ্গীয়া বামুণবিলাকৰ সেই সংসৰ্গদোষৰ ভাঁজ বুজিব পাৰিছিল। সেই কাৰণে হিন্দু ধৰ্মী আহোম ৰজাসকলে কন্যাকুঞ্জ বা কনৌজ আদি প্ৰদেশৰপৰা ভালেখিনি শিক্ষিত আৰু সৎ ব্ৰাহ্মণ এই দেশলৈ অনাইছিল। বৰ্তমান সময়ৰ প্ৰায়বিলাক প্ৰাচীন ভদ্ৰবংশীয় ব্ৰাহ্মণেই সেই কনৌজ আদি প্ৰদেশৰপৰা অহা সজ ব্ৰাহ্মণৰ সতি-সন্ততি।" (ঐ, পৃঃ ৫০৯)।

[৭২] হৰিনাৰায়ণ দ্বিজৰ ৰচিত **ঠাকুৰ চৰিত** পুথিৰ মতে স্বৰ্গদেৱ জয়ধ্বজসিংহই শঙ্কৰদেৱৰ পৰিনাতি দামোদৰদেৱক বাসুদেৱ বিষ্ণু মূৰ্তি উপহাৰ দিছিল।

[৭৩] হাৰ্হি দেৱালয়ৰ পূজাৰ দায়িত্ব স্বৰ্গদেৱ ৰুদ্ৰসিংহই কনৌজৰ ব্ৰাহ্মণ বিদ্যাভূষণ বৰঠাকুৰক অৰ্পণ কৰিছিল বুলি বৰ্তমানৰ পূজাৰী অৰ্থাৎ বিদ্যাভূষণ বৰঠাকুৰৰ বংশধৰসকলে কয়।

[৭৪] ঘাৰমৰা সত্ৰত থকা ভূৱনমোহন মূৰ্তিভাগত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ নাম আৰু শক উল্লেখ থকাৰ লগতে দেৱোত্তৰ মাটি ৪১৩১ হালিচা বুলিও উল্লেখ আছে -
"ভূৱনমোহন পদাশ্ৰিত যদুমণিদেৱ কুলোদ্ভৱ ৰামনাৰায়ণ দ্বিজ।
শ্ৰীশ্ৰী ৰুদ্ৰসিংহ নৃপদত্বা ভুৱন দেৱতা পূজাৰ্থে দেবোত্তৰ ভূমি ৪১৩১ হালচা। শাকে ১৬১৮।"

[৭৫] ধেনুখনা বিলৰ পাৰৰ ঘাৰমৰাত ঘাৰমৰা সত্ৰৰ পকী দ'লৰ ভগ্নাংশ, নামঘৰৰ ভেটি, কেইবাটাও পুখুৰী আৰু পুৰণি পথৰ চিন আছে। মানৰ আক্ৰমনৰ সময়ত এই সত্ৰ ধ্বংস হৈছিল।

ক্ষতিসাধন হয়।[৭৬]

সত্ৰাধিকাৰ শ্ৰীদয়াকৃষ্ণ গোস্বামী আৰু স্থানীয় ব্যক্তি কোষৰাম বৰাৰপৰা জানিবপৰা মতে মানৰ আক্ৰমণৰ সময়ত সত্ৰাধিকাৰ বসুকৃষ্ণদেৱে ঘাৰমৰা সত্ৰৰ আপুৰুগীয়া কেইপদমান সম্পদহে দুখন নাৱত বোজাই দি কঁঢ়া নদীয়েদি ভটিয়াই আহি নীল গোসাঁনী দেৱালয় (বৰ্তমান গৰখীয়া দ'ল)-ত আশ্ৰয় লয়। কঁঢ়া নদীয়েদি ভটিয়াই আহোঁতেই নাও বুৰি সত্ৰৰ দুটা জয়ঘন্টাৰ ভিতৰত এটা ঘন্টা আৰু এটা শঙ্খ পৰি যায়। সেই ঘন্টা পৰিযোৱা ঠাইডোখৰকে এতিয়া ঘন্টাপৰা বা ঘটাপৰা বোলে আৰু শঙ্খ পৰা ঠাইডোখৰক শঁকপৰা বোলে।[৭৭] নীল দেৱালয়ো নিৰাপদ নোহোৱাত সেই দেৱালয়ৰ পূজাৰী সহিতে ঘাৰমৰা সত্ৰৰ বয়বস্তুসহ সোৱণশিৰি নদী পাৰ হৈ ঢল নদীৰ পাৰৰ বৰ্তমানৰ ঠাই উত্তৰ লক্ষীমপুৰলৈ আহে আৰু ঘাৰমৰা সত্ৰৰ ওচৰতে নীল দেৱালয়ো পুনৰ প্ৰতিষ্ঠা হয়। মানৰ আক্ৰমণ আৰু ইয়াৰ পিছৰ মানদোৱনীয়া তথা মিৰি (মিছিং)-সকলৰ অত্যাচাৰত ঘাৰমৰা সত্ৰৰ দুৰৱস্থাৰ কথা সত্ৰত সংৰক্ষিত এখন চিঠিৰপৰা জানিব পাৰি। সেই সময়ৰ মানসকলে পতা অসমৰ ৰজা যোগেশ্বৰ সিংহলৈ সহায় বিচাৰি উক্ত চিঠিখন লিখিছিল। চিঠিখনৰ নকল ঘাৰমৰা সত্ৰত সংৰক্ষিত আছে। ঘাৰমৰা সত্ৰখন উত্তৰ-লক্ষীমপুৰলৈ সম্ভৱ ১৮২৯ চনতে স্থানান্তৰিত হৈছিল।[৭৮] ঘাৰমৰা সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰেও মান ভগনৰ সময়ত সত্ৰখন উত্তৰ লক্ষীমপুৰলৈ স্থানান্তৰিত হৈছিল বুলি কয়। ব্ৰিটিছ বিষয়াসকলেও ঘাৰমৰা সত্ৰৰ বাবে নিস্পিখেৰাজ মাটি দান কৰিছিল যদিও বেদখলৰ প্ৰকোপত বৰ্তমান সেই মাটি ঘাৰমৰা সত্ৰৰ কৰ্তপক্ষই চৰকাৰক সোধাই দিয়ে।

উজনি অসমত চুতীয়া ৰাজ্য থকা সময়ৰেপৰা আৰম্ভ কৰি বহুতো ৰাজনৈতিক উত্থান-পতন, বিভিন্ন সংঘাট, সমস্যা, পৰিস্থিতি আৰু পৰিবেশ অতিক্ৰমি বৰ্তমানলৈকে ঘাৰমৰা সত্ৰখনে বিৰামহীন ভাৱে বৈষ্ণৱ ধৰ্মৰ চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত যি ভূমিকা গ্ৰহণ কৰি আহিছে সেয়া সঁচাই অতুলনীয়। ঘাৰমৰা সত্ৰৰ চৰিত পুথিৰ মতে শংকৰীষণৰ লগত পূৰ্বতে সাতঘৰ মানুহ আহিছিল। সেই সাতঘৰ মানুহৰ সতি-সন্ততি বৰ্তমানে সত্ৰখনৰ ওচৰতে আছে। উত্তৰ লক্ষীমপুৰত প্ৰতিষ্ঠিত হ'বৰেপৰা ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰসকলে বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ বাবে অৰুণাচলৰ পাহাৰীয়া জনজাতিসকলৰ মাজত সোমাই পৰে। ইয়াৰ উপৰিও দাঁতি-কাষৰীয়া মিৰি (মিছিং) জনজাতিসকলৰ মাজতো বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি বহুতো লোকক সত্ৰৰ শিষ্য কৰি লয়। উল্লেখযোগ্য যে বৰ্তমান ঘাৰমৰা সত্ৰৰ

[৭৬] ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ বসুকৃষ্ণদেৱৰ দিনত মান আৰু মানদোৱনীয়াসকলৰ অত্যাচাৰৰ কথা ঘাৰমৰা সত্ৰত সংৰক্ষিত থকা মানসকলে পতা অসমৰ ৰজা যোগেশ্বৰসিংহলৈ লিখা এখন সাঁচিপাতৰ চিঠিৰপৰা জানিব পাৰি। চিঠিখন ঘাৰমৰা সত্ৰত সংৰক্ষিত হৈ আছে।

[৭৭] বৰ্তমান ঘটাপৰা নামৰ ঠাইডোখৰৰ একেবাৰে ওচৰত কঁঢ়া নদী নাই যদিও মাধোৱা বিলৰপৰা ওলাই অহা এটি নলা সৰুমূৰ্তিয়া আৰু সাপতিয়া জানৰ লগ হৈ ঘটাপৰা গাঁৱৰ কাষেদি বৈ গৈ কঁঢ়াৰ নদীত লগ হৈছে।

[৭৮] **সত্ৰ সঞ্জীৱনী**, পৃঃ ৩।



শিষ্যসকলৰ ভিতৰত অধিকাংশই হ'ল পাহাৰীয়া আৰু ভৈয়ামৰ জনজাতীয় লোক।

ধৰ্মপ্ৰচাৰৰ লগে লগে সত্ৰৰ সত্ৰাধিকাৰ সকলে পাহাৰীয়া অঞ্চল বিশেষে শিক্ষাৰ পোহৰ বিলোৱাৰ উদ্দেশ্যে সত্ৰৰ নিজা উদ্যোগত কেইবাখনো বিদ্যালয় স্থাপন কৰে। অৰুণাচল পাহাৰৰ অন্তৰ্গত লিকাবালি আৰু চিৰাজুলি সীমান্ত অঞ্চল আদিত সেই বিদ্যালয়সমূহ ঘাৰমৰা সত্ৰৰ পৃষ্ঠপোষকতাতে বৰ্তমানও চলি আছে।

ঘাৰমৰা সত্ৰত সংৰক্ষিত চুতীয়া আৰু আহোম ৰজা তথা বিষয়াসকলে দান কৰা বিভিন্ন সম্পদসমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল।

**সত্ৰত সংৰক্ষিত পুৰণি সম্পদসমূহ ঃ**

পুৰণি আহিলা-পাতি আৰু অন্যান্য বস্তুৰ ভিতৰত মিশ্ৰধাতুৰে তৈয়াৰী প্ৰায় ২০ কিঃগ্ৰাঃ ওজনৰ এটা ঘন্টা, ১০.৫ ছেঃমিঃ দীঘল এপাত পিতলৰ খৰম, ২৬ ছেঃমিঃ ওখ এটা কাঁহৰ ভোগজৰা, ২২ ছেঃমিঃ ওখ আৰু ২৬ ছেঃমিঃ বহল মুখৰ পিকদানি,ৰূপৰ পানী চৰোৱা এটা সঁফুৰা আৰু তাৰ ভিতৰত থোৱা হাতীদাঁতৰ নালেৰে এখন ডাব কটাৰী, বিবিধ নক্সাৰে মণ্ডিত গোঁসাইৰ খাটোলা, হেঙুল-হাইতাল বোলোৱা এখন দোলা, দুটা বৃহৎ শংখ আৰু পিতলৰ ভুৱনমোহন মূৰ্তিয়েই প্ৰধান। পুৰণি ঘাৰমৰা সত্ৰ স্থানৰ আশে-পাশে বৰ্তমানে উদ্ধাৰ হৈ থকা সোণ-ৰূপৰ মুদ্ৰা, কাঁহৰ থাল-বাচন, তাম-পিতলৰ তৈয়াৰী পূজাৰ বিবিধ আহিলাবোৰকো আমি এই সত্ৰৰে সম্পদ আছিল বুলি ধৰিব পৰা যায়।

## বাসুদেৱ থান (নৰোৱা সত্ৰ)

লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত মৰনৈ বেবেজীয়াত থকা বাসুদেৱ থান অসমৰ এখন উল্লেখযোগ্য তীৰ্থস্থান। এই বৈষ্ণৱ থানখন ঢকুৱাখনা মহকুমাৰ সদৰৰপৰা ১২ কিঃমিঃ পশ্চিমত কঢ়া আৰু চামপৰা নদীৰ মাজত অৱস্থিত। থানখনত থকা বৃহৎ আকৃতিৰ কলিয়া শিলত কটা প্ৰাচীন চতুৰ্ভূজ বিষ্ণু মূৰ্তি ভাগেই হৈছে ইয়াৰ প্ৰধান আকৰ্ষণ।

বাসুদেৱ থানক লৈ কেইবাটাও জনশ্ৰুতি প্ৰচলন হৈ আহিছে। ইয়াৰ উপৰিও **কালিকা পুৰাণ**, চতুৰ্দশ শতিকাৰ চুতীয়া ৰজা লক্ষ্মীনাৰায়ণৰ প্ৰদত্ত ভূমিদানৰ তাম্ৰপত্ৰ আৰু ১৬৫৭ শকত হৰিনাৰায়ণ দ্বিজে বাসুদেৱ থানতে লিখা শ্ৰী ঠাকুৰ চৰিত পুথিৰপৰা বাসুদেৱ থানৰ ইতিহাসৰ আভাস পোৱা যায়।

জনশ্ৰুতি মতে বাসুদেৱ থানৰ কলিয়া শিলত কটা চতুৰ্ভূজ বিষ্ণু মূৰ্তি ভাগ ভীষ্মক নন্দিনী ৰুক্মিনীয়ে শ্ৰীকৃষ্ণক পতি হিচাপে পাবলৈ নিতৌ পূজা কৰিছিল। বেদনিধি আছিল ইয়াৰ পূজাৰী। ৰুক্মিণীৰ সয়ম্বৰৰ পিছত মূৰ্তিভাগ অনাদৃত হোৱাৰ বাবে

পূজাৰীজনক ভগৱান বিষ্ণুৱে ৰাতি সপোনত মূৰ্তিভাগক সেই ঠাইৰপৰা নামনিলে আনিবলৈ নিৰ্দেশ দিলে। সপোনত এই বুলিও বিধান দিছিল যে মূৰ্তিভাগ দাঙি অনাৰ সময়ত ওজন লঘু হ'ব, নদীতো পানী এক আঠুহে হ'ব, পৰ্বতো সমান হ'ব আৰু যি ঠাইত এক সৰ্পক এটা বেঙে গিলি থকা দেখিব সেই স্থানতে মূৰ্তিভাগ নিজে নিজে গধুৰ হ'ব। এই সম্পৰ্কে প্ৰচলন থকা এফাকি প্ৰবচন হ'ল -

'ঘোৰ অৰণ্যৰ পাশে ধৰিছে আৱৰি,
কাউৰ শৃগালেও নিতে কৰিছে আমনি।
নাথাকোহো এহি স্থানে সঙ্গ ভক্ত নাই।
অন্যো স্থানে নিয়া মোক যতনাই।।
তুলাসম লঘু হৈব কান্ধেৰ ওপৰে।
একাঠুহে পানী হ'ব নদীৰ মাজে।।
... ... ...
গিৰিৰো হৈব সমান যাত্ৰাৰ পথে।।
যেহি স্থানে সৰ্পক গিলিব বেঙ্গে।
আপুনি লৈব স্থিতি সেহি স্থানে।।'

স্থানীয় মানুহৰ মাজত বাসুদেৱ থানৰ এই প্ৰবচনটো প্ৰচলন আছে।[৭৯] তেওঁলোকে ক'ব খোজে যে সেই সময়ৰ পৰাই বাসুদেৱ থান সোৱণশিৰিৰ পাৰত স্থাপন হৈছিল। প্ৰচলিত জনশ্ৰুতিৰ কথাখিনিত অলৌকিকতা আছে যদিও তাৰ মাজতো ইতিহাস লুকাই নথকা নহয়। সেই কথা পিছত বিশ্লেষণ কৰা হ'ব।

'একালৰ বৃন্দাবন একালত পৰে ছন' কথাষাৰৰ দৰে বাসুদেৱ থানৰ ইতিহাসো আঁত হেৰুৱা আৰু সঙ্গতিবিহীন। ক্ষেত্ৰ অধ্যয়নৰ সময়ত লগ পোৱা বাসুদেৱ থানৰ সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ প্ৰমুখ্যে স্থানীয় ব্যক্তিসকলৰ পৰা জানিব পৰা মতে এই থানখন পূৰ্বতে বৰ্তমানৰ ঠাইত নাছিল। সোৱণশিৰি নদীৰ পাৰৰ কোনো এক ঠাইতহে আছিল। স্বৰ্গদেৱ শিৱসিংহৰ (১৭১৪-১৭৪৪ খ্ৰীঃ)-ৰ দ্বাৰাহে বৰ্তমানৰ ঠাইত পুনৰ প্ৰতিষ্ঠা কৰা হৈছে।

বাসুদেৱ থানৰ পুৰণি অৱস্থিতি আৰু ইতিহাস বিচাৰ কৰি দেখা যায় যে এই পীঠ থানখনে বহুতো ভৌগোলিক, ৰাজনৈতিক, ধৰ্মনৈতিক আৰু ঐতিহাসিক উথান-পতনৰ সাক্ষী হৈ বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি, য'ত এসময়ৰ শাক্ত পীঠ থানখন এখন বৈষ্ণৱ পীঠ থানলৈ ৰূপান্তৰ হয় আৰু ইয়াত থান আৰু সত্ৰ দুয়োটাৰে সংমিশ্ৰণ ঘটে।

---

৭৯ মৰনৈ বেবেজীয়া আৰু ঢকুৱাখনা জালভাৰী গাঁৱৰ মানুহৰ মাজত এই প্ৰবচন ফাকিৰ প্ৰচলন আছে। কেইবছৰ মানৰ আগতে মৰনৈ বেবেজীয়াৰ নিবাসী স্বৰ্গীয় ফুলেশ্বৰ শইকীয়াৰ লগত বাসুদেৱ থানৰ বিষয়ে কথা পাতোতে তেখেতৰপৰা এই প্ৰৱচন ফাকি শুনি লিপিবদ্ধ কৰি ৰাখিছিলো - লেঃ।



খ্ৰীঃ দশম শতিকাত ৰচিত **কালিকা পুৰাণ**ত বাসুদেৱ থানৰ অৱস্থিতিৰ কথা পোৱা যায়।[৮০] কিন্তু বাসুদেৱৰ পূজা কোন ৰজা বা ৰাজবংশই পৃষ্ঠপোষকতা কৰিছিল সেই বিষয়ে ইয়াত উল্লেখ নাই। এইখন পুৰাণৰ মতে 'বাসুদেৱ পূজাৰ বিহিত, স্থান দিক্কৰবাসিনী পীঠ, কামৰূপৰ পূৰ্বাংশ-য'ত দেৱী দিক্কৰবাসিনী ললিতকান্তা আৰু কেঁচাইখাঁতী তীক্ষ্ণকান্তা, এই দুই ৰূপত বিৰাজ কৰে। এই পীঠত শম্ভু আৰু ব্ৰহ্মা শিলা-ৰূপে বিৰাজমান। যি ইয়াৰ পবিত্ৰ নদী সিত-গঙ্গাত (বগা নৈ, ধল নৈ?) স্নান কৰি শিৱ, বিষ্ণু আৰু ব্ৰহ্মাক দৰ্শন কৰে আৰু ললিতকান্তাক পূজা কৰে, তেওঁৰ পুনৰ্জন্ম নহয়। **যোগিনী তন্ত্ৰ**ই (১.১১) কামৰূপৰ নৱযোনিৰ মাজত বিষ্ণু-পীঠ এখনৰো উল্লেখ কৰিছে। কিন্তু তাৰ স্থান-স্থিতি নিৰ্ণয় কৰা নাই। উপপুৰাণখনৰ দিক্কৰবাসিনী-পীঠ তন্ত্ৰখনৰ সৌমাৰ-পীঠৰ ভিতৰত পৰে।'[৮১]

ইয়াৰপৰাই অনুমান হয় যে খ্ৰীঃ দশম শতিকাৰ পূৰ্বতে বাসুদেৱ বিষ্ণু পূজাৰ লগতে বাসুদেৱ বিজৰিত পঞ্চদেৱতাৰ উপাসনা সৌমাৰ পীঠৰ কোনো এক নদীৰ পাৰত পূৰ্ণোদ্যমে চলিছিল। **কালিকা পুৰাণ**ত উল্লেখিত সিত-গঙ্গা নদীখনক মহেশ্বৰ নেওগদেৱে ঢল নদী বুলি উল্লেখ কৰিছে[৮২] যদিও আন বহুতো পণ্ডিতে সিত-গঙ্গাক সোৱণশিৰি বুলিহে ক'ব খোজে। সিত-গঙ্গা ঢল নদী বা সোৱণশিৰি যিয়েই নহওক এই দুয়োখন নদীয়েই সমান্তৰালকৈ বৈ আহি লুইতত পৰিছেহি। এই দুয়োখন নদীৰ মাজৰ কোনো এক স্থানত প্ৰাচীন কালত তান্ত্ৰিক পদ্ধতিৰে বাসুদেৱ বিষ্ণু তথা আনুসঙ্গিক পঞ্চদেৱতাৰ পূজা যে হৈছিল, সেইটো নিশ্চিত। জনশ্ৰুতি মতে কুণ্ডিলৰ কোনো পৰ্বতত বাসুদেৱ মূৰ্তি/মন্দিৰ আছিল। বোধ হয় **কালিকা পুৰাণ**ত উল্লেখিত বাসুদেৱ থান সেই সময়ত এই দুয়োখন নদীৰ কোনো এখনৰ পাহাৰৰপৰা সমতল ভূমিলৈ নামি অহা ঠাই এখনতো হ'ব পাৰে।

চৈধ্য শতিকাত পুনৰ সেই একে অঞ্চলতে (সোৱণশিৰি আৰু ঢল নৈৰ মাজৰ অঞ্চল) চুতীয়া ৰজা সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণে দুজন ব্ৰাহ্মণক প্ৰদান কৰা ভূমিদানৰ শাসনৰপৰা চুতীয়া ৰাজ্যত বাসুদেৱ পূজাৰ প্ৰচলন আৰু বাসুদেৱ থানৰ অৱস্থিতিৰ কথা জানিব পাৰি। সত্যনাৰায়ণ প্ৰদত্ত ধেনুখনাবিল তাম্ৰ শাসনৰ মতে ৰজা সত্যনাৰায়ণে কাশ্যপ গোত্ৰৰ শঙ্কৰষণ দ্বিজৰ পুত্ৰ নাৰায়ণ দ্বিজক ১৩১৪ শক (১৩৯২ খ্ৰীঃ)-ত ধ্বলী নৈৰ পাৰৰ লাদুমিমাৰিত ৬০০ পুটি (পুৰা) মাটি আৰু দুই কুণ্ডাৱল নৌ স্থলী বৃত্তিকাৰ

---

৮০ **কালিকা পুৰাণ**, ৮৩.৮৯-১৮৭।

৮১ কামৰূপৰ বাসুদেৱ-ধৰ্ম-সম্পৰ্কীয় আমাৰ জ্ঞান "কালিকা-পুৰাণ"ৰ (৮৩.৮৯-১৮৭) বিৱৰণৰ ভিতৰতে আবদ্ধ। (মহেশ্বৰ নেওগ, **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, পৃঃ ২৭)।

৮২ ঐ, পৃঃ ২৭।

মানুহেৰে সৈতে দান কৰিছিল।[৮৩] ফলিত **কালিকা পুৰাণ** বিহিত পঞ্চদেবতা - গণপতি, দৈত্যাৰি - বাসুদেৱ (দিতিসুতনিৱহং বাসুদেৱং) ঈশান আৰু হিমালয়নন্দিনী অম্বা (তহিনগিৰিসুতাং সুৰ্বন্দ্যামম্বাং)-ৰ নাম পোৱা গৈছে। সম্ভৱতঃ ফলিখনৰ ক্ষয় যোৱা অংশত পঞ্চদেৱতাৰ ভিতৰৰ বাকী দুজন ব্ৰহ্মা আৰু ৰামৰ নামো আছিল। ফলিত উল্লেখিত থান গোটাপৰা ঢল নৈৰ (কড়া)[৮৪] পাৰৰ ঘটাপৰা আৰু এই অঞ্চলৰে বাঘমুৰি গাঁৱেই ফলিৰ ব্ৰাঘ্যমাৰি বুলি চিহ্নিত কৰিছে।[৮৫]

এই ফলি আৰু ফলিৰ দানৰ লগত বাসুদেৱ থানৰ বিশেষ যোগসূত্ৰ পোৱা নাযায় যদিও এই ফলিৰ দান তান্ত্ৰিক বাসুদেৱ পূজাৰ লগত জড়িত যেন লাগে। লগতে চুতীয়া ৰাজ্যত যে বাসুদেৱ পূজাৰ প্ৰচলন আছিল আৰু ৰজাই ইয়াৰ পৃষ্ঠপোষকতা কৰিছিল সেই কথা স্পষ্ট।

চুতীয়া ৰাজ্যত বাসুদেৱ পূজাৰ প্ৰচলন আৰু চুতীয়া ৰজাই আমাৰ আলোচ্য বাসুদেৱ পীঠ থানখনৰ পৃষ্ঠপোষকতা কৰাৰ বিষয়ে নিশ্চিত ভাৱে জানিব পাৰি ১৯৩২ চনত ঘিলামৰাত উদ্ধাৰ হোৱা ১৩২৩ শকৰ ৰজা লক্ষ্মীনাৰায়ণৰ প্ৰদত্ত ভূমি দানৰ তাম্ৰ শাসনৰপৰা।[৮৬] উক্ত ফলিৰ মতে, ১৩২৩ শক (১৪০১ খ্ৰীঃ) সধয়াপুৰীস্বৰ লক্ষ্মীনাৰায়ণে বাসুদেৱ মন্দিৰৰ পুৰোহিত শান্দিল্য গোত্ৰৰ ৰবিদেৱক পূণ্য বিশুৱ দিনা বখনাগ্ৰাম সমন্বিতে ২০০ পুৰা মাটি দান কৰিছিল। ৰবিদেৱৰ পিতৃ হৰি আছিল সেই থানৰ পূজাৰী। ফলিৰ বৰ্ণনা অনুসৰি সেই সময়ত বাসুদেৱ পীঠ থানখন স্বৰ্ণদীৰ পূব পাৰত, চম্পাৱতীৰ দক্ষিণে, পোকামাৰি সূতিৰ পশ্চিমে থকা বখনাগ্ৰামত আছিল। ফলিত উল্লেখিত স্বৰ্ণদীক সোৱণশিৰি নৈ, চম্পাৱতীক চামপৰা নৈ, পোকামাৰি সুঁতিক পকীমূৰী বিল আৰু বখনাগ্ৰামক বৰ্ষামুখ বুলি চিনাক্ত কৰা হৈছে।[৮৭] অৱশ্যে ফলিত উল্লেখিত স্বৰ্ণদী, চম্পাৱতী, পোকামাৰি সুঁতি আৰু বখনাগ্ৰামক আজিৰ পৰিবৰ্তিত নামৰ সৈতে চিনাক্ত কৰা হৈছে যদিও বৰ্তমান সেই নদী আৰু গাঁও ফলিত উল্লেখিত ঠাইত বিচাৰিলে পোৱা নাযাব। কাৰণ প্ৰাকৃতিক দুৰ্যোগৰ ফলত সোৱণশিৰি আৰু চামপৰা (বিশেষকৈ সোৱণশিৰি) নদীয়ে সঘনাই গতিপথ সলোৱাৰ ফলত সমীপৰ গাঁওবোৰৰ স্থান পৰিবৰ্তন হৈ থাকে।

[৮৩] মহেশ্বৰ নেওগ, **প্ৰাচ্যশাসনাৱলী**, পৃঃ ৮৩-৮৪।

[৮৪] ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ মাজেৰে প্ৰবাহিত জীয়াঢল আৰু মৰিঢল নদী লগ হৈ কড়া নামেৰে বৈ গৈছে। এই দুই নদীৰ নামনি অংশ কড়া নামেৰে জনাজাত। ঢল নামেৰে অন্য এখন নদী অৰুণাচলৰ পাহাৰৰ পৰা ওলাই উত্তৰ লক্ষীমপুৰ নগৰৰ পূব দিশেদি বৈ আহি ঘাগৰ নদীৰ লগ হৈ সোৱণশিৰিত পৰিছে। কালিকা পুৰাণত উল্লেখিত ঢল নদী এইখন নদী নহয়।

[৮৫] মহেশ্বৰ নেওগ, **পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি**, পৃঃ ৩৪-৩৫।

[৮৬] **প্ৰাচ্যশাসনাৱলী**, পৃঃ ৮৫-৮৬

[৮৭] ঐ



বখনাগ্ৰাম বা বৰ্ষামুখ গাঁওখনো পূৰ্বৰ স্থানৰপৰা তিনি-চাৰি কিঃমিঃ দক্ষিণলৈ আঁতৰি গৈছে। আজিৰ পকীমূৰী বিলৰ অৱস্থিতি আৰু চামপৰা নদীৰ পুৰণি গতিপথ লক্ষ্য কৰিলে দেখা যায় যে ১৪০১ খ্ৰীঃত বখনাগ্ৰাম সমন্বিতে বাসুদেৱ থানখন আছিল বৰ্তমান থানৰপৰা প্ৰায় ৭ কিঃমিঃ পশ্চিমৰ সোৱণশিৰি আৰু ঘূণাসুঁতিৰ মাজৰ চাপৰি অঞ্চলত। কাৰণ সেই সময়ত চামপৰা নদীখন বৰ্তমানৰ দৰে ওভটা চামপৰাত পাক মাৰি ঘূৰি সোৱণশিৰিৰ সমান্তৰালকৈ বৈ গৈ কড়া নদীত লগ নহৈ পোনে পোনে গৈ সোৱণশিৰিতহে লগ হৈছিল। সেয়েহে ফলিত চামপৰা বা চম্পাৱতী বখনাগ্ৰামৰ উত্তৰে বুলি উল্লেখ আছে। সম্ভৱতঃ সোৱণশিৰি আৰু চামপৰা নদীৰ সঙ্গম স্থলীৰ ওচৰতে বখনাগ্ৰাম আছিল। ইয়াতেই শান্দিল্য গোত্ৰৰ ব্ৰাহ্মণৰ লগতে অন্যান্য ব্ৰাহ্মণৰদ্বাৰা বাসুদেৱ পূজা পূৰ্ণোদ্যমে চলিছিল।

চুতীয়া ৰাজ্যত প্ৰচলিত তান্ত্ৰিক ধৰ্মৰ প্ৰাৰ্দুভাৱ আৰু সত্যনাৰায়ণ প্ৰদত্ত ধেনুখনা বিল তাম্ৰ শাসনত উল্লেখিত পঞ্চৰাত্ৰৰ অন্তৰ্গত দেবতাৰ নাম উল্লেখলৈ চাই বখানগ্ৰামৰ বাসুদেৱ থানখনো এখন শাক্ত পীঠ যেনেই অনুমান হয়। এই পীঠখনেই যিহেতু **কালিকা পুৰাণ**ত এখন শাক্ত পীঠ হিচাপে উল্লেখ আছে, গতিকে এই ধাৰা চুতীয়াসকলৰ অধীনতো নিশ্চয় অব্যাহত আছিল।

যোল্ল শতিকাৰপৰা সোতৰ শতিকাৰ মাজভাগলৈকে বাসুদেৱ থানৰ অৱস্থিতিৰ কথা জনা নাযায়। সম্ভৱতঃ আহোম-চুতীয়াৰ যুদ্ধত চুতীয়াসকলৰ পৰাজয় হোৱাত চুতীয়া ৰাজ্যৰ অন্তৰ্গত সদিয়া অঞ্চলত সদিয়াখোৱা গোহাঁইৰ তত্বাবধানত ৰাজনৈতিক স্থিৰতা স্থাপন হৈছিল যদিও সদিয়াৰ বাদে লুইতৰ উত্তৰ পাৰৰ অন্যান্য অঞ্চলবোৰত এই কাম ইমান সোনকালে সম্পন্ন হৈছিল বুলি ক'ব নোৱাৰি। যুদ্ধৰ পৰৱৰ্তী সময়ত লুইতৰ উত্তৰ পাৰত মিৰি (মিছিং) আৰু পৰ্বতীয়া জাতিসকলৰ লগ হৈ কেইবাটাও চুতীয়া বিদ্ৰোহ সংঘটিত হোৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। ইয়াৰ উপৰিও পৰ্বতীয়া জাতিসকলে এই অঞ্চলত প্ৰায়ে উপদ্ৰব চলাইছিল, যাৰ ফলত সদিয়াৰ পাশ্বৱৰ্তী এই সমগ্ৰ অঞ্চলটোত ৰাজনৈতিক অস্থিৰতাই দেখা দিছিল। অন্যহাতে চুতীয়াসকলৰ ধৰ্মীয় অনুষ্ঠান সদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ ক্ষেত্ৰত আহোম ৰজাই পৃষ্ঠপোষকতা কৰি চুতীয়া পৰম্পৰাৰে পূজা পদ্ধতি অব্যাহত ৰাখিছিল যদিও চুতীয়া ৰাজ্যৰ অন্তৰ্গত অন্যান্য ধৰ্মীয় অনুষ্ঠানসমূহৰ তত্বাবধান বহু পলমকৈ, সোতৰশ শতিকাৰ মাজভাগৰ পৰাহে লোৱাৰ প্ৰমাণ পোৱা যায়। অৱশ্যে আহোমসকলে তেতিয়ালৈকে হিন্দু ধৰ্ম গ্ৰহণ কৰাও নাছিল।

হাবুঙ্গীয়া ব্ৰাহ্মণসকলকো আহোম ৰজাই ভাল দৃষ্টিৰে চাইছিল বুলি ক'ব নোৱাৰি। ইয়াৰ প্ৰমাণ হাবুঙ্গীয়া ব্ৰাহ্মণ কেইঘৰমানক স্বৰ্গদেৱ প্ৰতাপসিংহই (১৬০৩-১৬৪১ খ্ৰীঃ) তিপামত প্ৰতিষ্ঠা কৰি তাৰে এঘৰক হাতী ঘাঁহী আৰু এঘৰক কুমাৰ খেলত অন্তৰ্ভুক্ত

কৰাৰ কথাই প্ৰমাণ কৰে।[৮৮] ইয়াৰ উপৰিও হাবুঙ্গীয়া ব্ৰাহ্মণসকলে পূজা-পাতল কৰি থকা বহুতো মঠ-মন্দিৰৰ পূজাৰ দায়িত্ব সেইসকলৰপৰা অন্য কোনো ব্ৰাহ্মণ নতুবা সত্ৰৰ মহন্তক অৰ্পণ কৰিছিল। বাসুদেৱ থানৰ পূজাৰ দায়িত্ব বিশেষ কাৰণ নোহোৱাকৈয়ে হাবুঙ্গীয়া শান্দিল্য গোত্ৰৰ ব্ৰাহ্মণৰপৰা নি নৰোৱা সত্ৰৰ প্ৰতিষ্ঠাতা দামোৰদেৱক অৰ্পণ কৰিছিল। ঘাৰমৰা সত্ৰৰ দায়িত্বও পূৰ্বৰ হাবুঙ্গীয়া বামুণৰ ঠাইত যদুমণিদেৱক দিয়া হৈছিল।[৮৯] অন্যহাতে চুতীয়া ৰাজ্যৰ অন্তৰ্গত বহুতো মঠ-মন্দিৰ ৰাজপৃষ্ঠপোষকতাৰ অবিহনে এৰাপৰলিয়া হৈ শেষ হৈ গৈছিল। হাৰ্হি দেৱালয় বহু কাল অনাদৃত হৈ থকাৰ পিছত স্বৰ্গদেৱ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪ খ্ৰীঃ) বিদ্যাভূষণ বৰঠাকুৰৰ বংশধৰক অৰ্পণ কৰি ভূমি সম্পত্তি দান কৰিছিল।[৯০] মালিনী থান, পদুমনি থান (বৰদলনি), ঘুগুহা দল, মণিপুৰীয়া গোসাঁনীৰ থান, গৰখীয়া দ'ল, পঞ্চানন দেৱালয় আদি মঠ-মন্দিৰ সমূহৰ কিছুমান নিঃশেষ হৈ স্মৃতিটোহে ৰ'ল আৰু কিছুমান মন্দিৰৰ জঁকাটোহে আছেগৈ।

বাসুদেৱ থানৰ সম্বেদ পুনৰ সোতৰ শতিকাত এই একে অঞ্চলতে হৰিনাৰায়ণ দ্বিজৰদ্বাৰা ৰচিত **শ্ৰীঠাকুৰ চৰিতৰ** পৰা জানিব পাৰি। তেতিয়াৰপৰাই বাসুদেৱ থানত পূৰ্বৰ ধৰ্মীয় পৰম্পৰা সলনি হৈ এখন বৈষ্ণৱ সত্ৰলৈ ৰূপান্তৰিত হয় আৰু বাসুদেৱ থান নৰোৱা সত্ৰ নামেৰে পৰিচিত হয়। চতুৰ্ভূজ বাসুদেৱৰ মূৰ্তিভাগ সত্ৰৰ প্ৰধান উপাস্য দেৱতা হৈ পৰে। **শ্ৰীঠাকুৰ চৰিত** পুথিৰ বৰ্ণনা অনুসৰি শঙ্কৰদেৱৰ নাতি চতুৰ্ভূজ ঠাকুৰৰ তোলনীয়া পুত্ৰ দামোদৰ ঠাকুৰদেৱে (১৬০৪-১৬৫৪ খ্ৰীঃ) কামৰূপৰ বিষ্ণুপুৰত সত্ৰ পাতি থকা অৱস্থাত মোগলৰ আক্ৰমণৰ বাবে তাত থাকিব নোৱাৰি আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহ (১৬৫৩ খ্ৰীঃ)-ৰ সাহায্য প্ৰাৰ্থী হয়। জয়ধ্বজসিংহই কটুক শইকীয়াৰদ্বাৰা কুণ্ডিলৰপৰা এটি বিতোপন বাসুদেৱৰ মূৰ্তি অনাই বহু পৰিমাণৰ ভূমি দান কৰি সোৱণশিৰিৰ পাৰত থাপিলে। ৰাজ অনুগ্ৰহত দামোদৰদেৱে এই অঞ্চলত নতুনকৈ বৃক্ষ কদলি ৰোপন কৰি লাওমুৰী আৰু চাৰিভাগী নামে ঠাইত দুখন সত্ৰ পাতি দুয়োখনকে নৰোৱা সত্ৰ নাম দিলে।[৯১] লাওমুৰী থানখন ধেমাজি জিলাৰ বৰদলনি মৌজাৰ অন্তৰ্গত কড়া (ঢল) নদীৰ

[৮৮] এইজনা স্বৰ্গদেৱৰ দিনতে (অৰ্থাৎ বুঢ়া ৰজাৰ দিনত) পূৰ্বে ১৫৩৮ শঁকৰ আহিন মাহত হাবুঙ্গৰ পৰা কেইঘৰমান লোক আনি তিপামত বামুণ পাতি থৈছিলে। তাৰে এঘৰ হাতী ঘাঁহী, সেই ঘৰক হাবঙ্গীয়াল বামুণ বুলিলে। আৰু এঘৰ কুমাৰ, সেই ঘৰৰ নাম থলে শিশুৱাল। (**আহোমৰ দিন**, পৃঃ১২২)।

[৮৯] বিস্তৃত বিৱৰণৰ বাবে ঘাৰমৰা সত্ৰৰ বিৱৰণ চাওক।

[৯০] হাৰ্হি দেৱালয়ৰ পাদটিকা ৫৩।

[৯১] "কুণ্ডিল নগৰ সিটো অতি অনুপম।
সিটো সুশোভন মূৰ্ত্তি বাসুদেৱ নাম।। ৪৬৭
তাহাক থাপিবো মই তোমাৰ সত্ৰত।
বহু ভূমি বৃত্তি দিবো তাহান লগত।।
অনন্তৰে ৰাজলোক শতকে পাঞ্চিলা।
কটুক শইকীয়া তান লগত পাঞ্চিলা।।
বহু যত্ন কৰি পাছে মূৰ্ত্তিক আনিলা।
স্বৰ্ণশিৰী সমীপত তাহাক থাপিলা।।" ৪৬৯ ড° নিত্যানন্দ গগৈ সম্পাদিত, **শ্ৰীঠাকুৰ চৰিত**, পৃঃ ৩৭



পাৰত আৰু চাৰিভাগী হৈছে সোৱণশিৰিৰ পাৰত, য'ত পোন্ধৰশ শতিকাত বাসুদেৱ পীঠ আছিল। স্থানীয় মানুহৰপৰা জানিব পৰা মতে চামপৰা নদীয়ে পুব দিশৰ পৰা আৰু ঘৃণাসুতি নামৰ সুতিটোৱে পশ্চিম দিশৰ পৰা বৈ আহি যি ঠাইত সোৱণশিৰিৰ লগ হৈছেহি সেই ঠাইৰ নামেই চাৰিভাগী। সেই কথাৰ বিশ্বাসযোগ্যতা আছে। কাৰণ এসময়ত চামপৰা নদী যেতিয়া পূবা-পশ্চিমাকৈ বৈ আহি সোৱণশিৰিত লগ হৈছিল সেই সময়ত তাৰ ঠিক বিপৰীত দিশত ঘৃনাসুতি নামৰ সুতিটো সোৱণশিৰিৰ লগ হৈছিল, ফলত উত্তৰা-দক্ষিণা আৰু পূবা-পশ্চিমাকৈ চাৰিভাগ পানীৰ সৃষ্টি হৈছিল।

চৰিত পুথিত বাসুদেৱ মূৰ্তিভাগ কুণ্ডিলৰপৰা অনোৱা হৈছে বুলি উল্লেখ আছে।[৯২] জনশ্ৰুতিৰ মতে এসময়ত কুণ্ডিলত বাসুদেৱ মূৰ্তি বা থান আছিল আৰু ৰুক্মিনীৰ সয়ম্বৰৰ পিছত এই মূৰ্তিভাগ সোৱণশিৰি নদীৰ পাৰলৈ অনা হয়, য'ত এক সৰ্পক এটা বেঙে গিলিছিল বুলি মানুহে এতিয়াও বিশ্বাস কৰে।[৯৩] প্ৰচলিত জনশ্ৰুতিৰ মতে চুতীয়া ৰাজ্যত চুতীয়া ৰজাসকলৰ পৃষ্ঠপোষকতাত বাসুদেৱ পূজা চলিছিল বাবেই সম্ভৱতঃ চৰিত পুথিত এই মূৰ্তিভাগক কুণ্ডিলৰপৰা অনা হৈছে বুলি উল্লেখ কৰিব পাৰে। আন এক জনশ্ৰুতি মতে দামোদৰদেৱে লাওমুৰীৰ নৰোৱা সত্ৰহে প্ৰতিষ্ঠা কৰিছিল। দামোদৰদেৱৰ পুত্ৰ ৰমাকান্তইহে চাৰিভাগীত সত্ৰ পাতিছিল। অনন্ত আতাৰ চৰিত মতে ৰমাকান্তইহে নৰোৱাত সত্ৰ পাতিছিল। সম্ভৱতঃ আহোম স্বৰ্গদেৱৰ পৃষ্ঠপোষকতাত ৰমাকান্তই চাৰিভাগীত নতুন সত্ৰ এখন পাতিছিল। যি ঠাইত পুৰণি বাসুদেৱ পীঠ আছিল আৰু বাসুদেৱ মূৰ্তিভাগো পূৰ্বৰ পূজাৰী শাণ্ডিল্য গোত্ৰৰ ৰবিদেৱ বাসস্পতিৰ পৰিনাতি ৰবিধৰ বাসস্পতিৰপৰা লাভ কৰিছিল। তেতিয়াৰেপৰা বাসুদেৱ থান আৰু নৰোৱা সত্ৰৰ সংযোগ ঘটে, য'ত বাসুদেৱ মূৰ্তিভাগ সত্ৰৰ প্ৰধান উপাস্য বিগ্ৰহ হৈ পৰে আৰু বাসুদেৱ থান নৰোৱা সত্ৰ নামেৰে পৰিচিত হয়।

দামোদৰদেৱৰ মৃত্যুৰ পিছত পুত্ৰ ৰমাকান্তই লাওমুৰী আৰু চাৰিভাগী দুয়োখন সত্ৰ পৰিচালনা কৰিছিল। ৰমাকান্তৰ পুত্ৰ ৰামচন্দ্ৰৰ দিনত ১৭৩৪-৩৫ খ্ৰীঃৰ বানপানীত, কোনো কোনোৰ মতে ভুঁইকপৰ ফলত, সোৱণশিৰি নদীয়ে পাৰ ভাঙি চাৰিভাগীৰ বাসুদেৱ থান নৰোৱা সত্ৰক ধ্বংস কৰে। এইজনা স্বৰ্গদেৱে শিৱসিংহৰ অনুগ্ৰহত সেই

ব্ৰাহ্মণ দৈৱজ্ঞ দিবো আৰু শুদ্ৰচয়।
বন্ধাইবো সত্ৰত যেন ৰাজাৰ আলয়।। ৪৬৮, ড° নিত্যানন্দ গগৈ, **শ্ৰীঠাকুৰ চৰিত**, পৃঃ ৩৯।

[৯২] ঐ

[৯৩] উত্তৰ লক্ষীমপুৰ মহকুমাৰ গোহাঁইমৌজাৰ চামপৰা নৈৰ কাষত নৰোৱা সত্ৰ। তাত বাসুদেৱ মূৰ্তি আছে। প্ৰবাদ আছে যে, মহাপুৰুষ ˚ শ্ৰীমন্ত শঙ্কৰদেৱে নাৱেৰে উজাই যাওঁতে সেই ঠাইত পানীৰ ওপৰত এটা সাপৰ মূৰত এটা ভেকুলী উঠি থকা দেখা পাইছিল। মহাপুৰুষ মাধৱদেৱে গুৰুজনাৰ আদেশত তাতে এগছি বন্তি জ্বলাই থৈ যায়। খৰালিৰ পানী শুকোৱাত সেই ঠাই খন্দাত তাতে বাসুদেৱ মূৰ্তি ওলোৱাত, সেই ঠাইতে প্ৰতিষ্ঠা কৰা হয়। (**ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ২১১)।

ঠাইৰপৰা বাসুদেৱ মূৰ্তিৰ সৈতে নৰোৱা সত্ৰ ঢৌমাৰি পথাৰলৈ স্থানান্তৰিত কৰে। স্বৰ্গদেৱ শিৱসিংহই অনেক শিল্পী, কৰ্মী লগাই শিল-ইটাৰে সত্ৰৰ হৰি মন্দিৰটো নিৰ্মাণ কৰাই দিয়ে (বৰ্তমান সেই পুৰণি ইটাৰ মন্দিৰ নাই) আৰু তাম্ৰ পত্ৰযোগে ২৫০০ পুৰা ভূমি দান কৰে। সেই ভূমিদানৰ ফলিখন সত্ৰত সংৰক্ষিত হৈ আছে। **শ্ৰীঠাকুৰ চৰিত** পুথিতো স্বৰ্গদেৱ শিৱসিংহই নতুন ঠাইত সত্ৰ পুনৰ প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ আছে।

"তামৰঙ্গা বৰুৱা আলি আছয় পূৰ্ব্বত জানা
পশ্চিমে সুকতি পোতা জান
উত্তৰে চাওঁপৰা কঢ়ানদী দক্ষিণত
ইসব মধ্যত দিলা স্থান।।"[৯৪]

জে. পি. ৱেড চাহাবৰ বিৱৰণ (১৭৯৩-১৮০০ খ্ৰীঃ)-ত নৰোৱা সত্ৰৰ উল্লেখ আছে আৰু এই নৰোৱা চামপৰা নৈৰ পাৰত অৱস্থিত বুলি কোৱা হৈছে - 'NAROOA is a much smaller district, which does not exceed eight miles in length, and six in breadth. It is chiefly noted for a temple, or Takkorbari. It is bounded by a much larger district, Munnipoor.'

'The Sowpurra river falls from the mountains of Miri, and flows through Coticoosi, a district appropriated to the office of Boora Gahaign; it's waters contribute to enrich the estate of the Nurroowah Gossign, or Goswami; ...'[৯৫]

নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ ৰামদেৱৰ দিনত (১৬৯৩ শক/১৭৭১ খ্ৰীঃ)-ত স্বৰ্গদেৱ লক্ষ্মীসিংহই ভূমিদানৰ এখন তাম্ৰ পত্ৰ প্ৰদান কৰিছিল। ১৭০৭ শকত স্বৰ্গদেৱ গৌৰীনাথসিংহই গড়মূৰ (মাজুলী)-ত মৃগয়া কৰিবলৈ যাওঁতে বাসুদেৱ থান নৰোৱা সত্ৰও দৰ্শন কৰিছিল।[৯৬] এই বিষয়ে এটা জনশ্ৰুতিও প্ৰচলন আছে। স্বৰ্গদেৱ অহাৰ বতৰা পাই বাসুদেৱ থান নৰোৱা সত্ৰৰ অধিকাৰ ৰামদেৱে গায়ন-বায়নসহ তেপবন্ধা আলিয়েদি আহি (চামপৰা নদীৰপৰা) স্বৰ্গদেৱৰ সন্মুখত গায়নৰ ঘাট মাৰোতেই স্বৰ্গদেৱ উঠি অহা ঘোঁৰাটোৱে ভয় খাই জপিয়াই দিয়াত গৌৰীনাথ সিংহ ঘোঁৰাৰপৰা পৰি যায়। খঙ উঠি স্বৰ্গদেৱে নৰোৱা গোসাঁইক বান্ধি থবলৈ আদেশ দিয়ে। স্বৰ্গদেৱে মন্দিৰ দৰ্শন কৰি ঘূৰি আহোঁতে চামপৰা নৈ পাৰ হ'বৰ সময়ত নদীৰ সোঁ মাজতে বতাহ-বৰষুণ আৰু ভুঁইকপৰ দ্বাৰা প্ৰকৃতিয়ে তাণ্ডৱ লীলা চলাইছিল। সেই প্ৰলয়ৰ ফলত নদীখনে পূৰ্বৰ গতি সলনি কৰি বৰ্তমানৰ ওভতামুখত (পুবা-পশ্চিমাকৈ বৈ থকা নৈখন) দক্ষিণলৈ পাক মাৰি ঘূৰি

[৯৪] **শ্ৰীঠাকুৰ চৰিত**, পৃঃ ৪৯।

[৯৫] Dr. J.P. Wade, 'Assam in the Eighteenth Century', **A GEOGRAPHICAL SKETCH OF ASSAM 1800 A.D.**, P.14-16.

[৯৬] **তুংখুঙ্গীয়া বুৰঞ্জী**, পৃঃ ৯৩।



কঢ়া নদীৰ লগ লাগেহি। ৰজাই কোনো মতে পাৰ হ'ব নোৱাৰি, সেয়া নৰোৱা গোসাঁইৰ মহিমা বুলি ভাবি বাসুদেৱ থানলৈ ঘূৰি আহি গোসাঁইক মুকলি কৰি দিয়াতহে নদী পাৰ হৈ যাব পাৰিছিল।[৯৭]

ৰামদেৱৰ পিছত ভদ্ৰদেৱ আৰু লক্ষ্মীদেৱ নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ হয়। লক্ষ্মীদেৱৰ দিনত অসমত হোৱা মানৰ আক্ৰমণৰ প্ৰভাৱ নৰোৱা সত্ৰতো পৰিছিল। মানে নৰোৱা সত্ৰখন ভাঙি জুই লগাই দিয়ে। মূৰ্তিভাগো নষ্ট কৰিলে, ফলত মূৰ্তিভাগৰ কেইবাটাও অঙ্গ মূল অংশৰপৰা বিচ্ছিন্ন হৈ পৰে। বিংশ শতিকাৰ প্ৰথম ভাগত যেতিয়া লক্ষ্মীদেৱৰ নাতি অচ্যুতচন্দ্ৰ গোস্বামীয়ে স্থানীয় মানুহৰ দ্বাৰা বাসুদেৱ থান পুনৰ উদ্ধাৰ কৰে, তেতিয়া সত্ৰৰ নামত সত্ৰৰ ভগ্ন মূৰ্তিটোহে আছিল। স্থানীয় মানুহে কোৱা মতে সেই মূৰ্তিভাগ সত্ৰৰ ধনেখনা পুখুৰীৰপৰা উদ্ধাৰ কৰিছিল যাক পুনৰ প্ৰতিষ্ঠা কৰাৰ সময়ত ১৬ জন ভকতেহে ভাৰপাতি কঢ়িয়াই নিব পাৰিছিল। বৰ্তমান সত্ৰত থকা চতুৰ্ভূজ মূৰ্তিভাগ প্ৰকৃত মূৰ্তি নহয়। যোৱা ইংৰাজী ৬ এপ্ৰিল ২০০৫ তাৰিখে চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতিৰ তৰফৰপৰা বাসুদেৱ থানত ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৱা সজাতি দলটিৰ এজন হিচাপে এই লেখকে বাসুদেৱ থানৰ মূল মূৰ্তিভাগৰ কেইটুকুৰামান কলীয়া শিলত কটা ভগ্ন টুকুৰা দেখিবলৈ পাইছিলো। সত্ৰৰ ডেকাসত্ৰাধিকাৰ শ্ৰীদুৰ্লভ দেৱগোস্বামীয়ে কোৱা মতে বৰ্তমানৰ মূৰ্তিভাগ পূৰ্বৰ ভগ্ন মূৰ্তিভাগৰ জকাটোতে নতুনকৈ অঙ্গ সংযোগ কৰি নিৰ্মাণ কৰা মূৰ্তিহে।

বিংশ শতিকাৰ প্ৰথম ভাগত বাসুদেৱ থান পুনৰ উদ্ধাৰ কৰা সময়ৰ পৰাই এই সত্ৰখনে পুনৰ ঠন ধৰি উঠে। ১৯৩৫ চনত বাসুদেৱ থানৰ বৃহৎ দ'লটি নিৰ্মাণ কৰি তাতে বাসুদেৱ মূৰ্তি প্ৰতিষ্ঠা কৰা হয়। পুৰণি চিন হিচাপে বৰ্তমান ইয়াত চতুৰ্ভূজ বাসুদেৱ মূৰ্তিভাগৰ উপৰিও পাটকুঁৱা, চৌহদৰ ঢাপ-খাৰৈ আৰু কেইবাটাও ভেটি আছে। ১৯৯২ চনত নব-নিৰ্মিত কীৰ্তন ঘৰটোৰ দ্বাৰ উন্মোচন কৰা হয়।

জনসাধাৰণৰ মাজত বাসুদেৱ থান অতি পবিত্ৰ তীৰ্থস্থান হিচাপে পৰিগণিত হৈ আহিছে। এই থান দৰ্শনৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ উপৰি সুদূৰ নেপালৰ পৰাও প্ৰতি বছৰে অনেক তীৰ্থযাত্ৰী আহে। অতীত কালৰ পৰাই মানুহৰ বিশ্বাস বাসুদেৱ থানৰ নাম স্মৰণ কৰিলে মনৰ আশা পূৰ্ণ হয়, অপুত্ৰকে পুত্ৰ লাভ কৰে, অপায়-অমঙ্গল, বিপদ-বিঘিনি আদি নিৰাময় হয়। সেইবাবেই সূচল যোগাযোগ ব্যৱস্থা নাথাকিলেও বহু কষ্ট স্বীকাৰ কৰি প্ৰতি দিনে বিভিন্ন ঠাইৰ যাত্ৰী আহি বাসুদেৱ থানত ভিৰ কৰেহি। অতি দুখৰ বিষয় এনে এখন পবিত্ৰ তীৰ্থ স্থান চৰকাৰৰ ফালৰপৰা আজিও অৱহেলিত। যাতায়ত,

[৯৭] চামপৰা নদীখনে ভূঁইকপ বা ডাঙৰ বানপানীৰ ফলত পূৰ্বৰ গতি সলাইছিল। তেতিয়াৰপৰাই নদীখনে ওভটা মুখত পাকমাৰি দক্ষিণলৈ গতি কৰি সোৱণশিৰিৰ পৰিবৰ্তে কঁঢ়াৰ নদীৰ লগ হৈছিল। সম্ভৱতঃ সেই সময়তে স্বৰ্গদেৱ গৌৰিনাথ সিংহই বাসুদেৱ থান দৰ্শন কৰিবলৈ আহিছিল।

বিদ্যুৎ যোগান আদিৰ কথা নকওঁৱেই; যাত্ৰীসকলৰ বাবে নূন্যতম সুবিধাও নাই, যি অলপ আছে সেয়া সত্ৰৰ নিজৰ উদ্যোগত কৰি লোৱা। তাৰো অৱস্থা তথৈবচ্।

## গৰখীয়া দল/নীল দেৱালয়

লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত গোহাঁই মৌজাৰ চেলাজান কছাৰী গাঁৱৰ সমীপত গৰখীয়া দ'ল অৱস্থিত। ঢকুৱখনা মহকুমাৰ সদৰৰপৰা গৰখীয়া দ'ললৈ প্ৰায় ২২ কিঃমিঃ দূৰত্ব।

যোৱা ইংৰাজী ৫ এপ্ৰিল ২০০৫ তাৰিখে চুতীয়া জাতিৰ বুৰঞ্জী সম্পাদনা সমিতিৰ সজাতি দলৰ দ্বাৰা গৰখীয়া দলত ক্ষেত্ৰ অধ্যয়ন কৰা হয়। গৰখীয়া দ'লটোৰ আকৃতি আৰু নিৰ্মাণ শৈলী অসমত থকা অন্যান্য দ'ল-দেৱালয়তকৈ বেলেগ। দ'লটো মাটিৰপৰা প্ৰায় ৮ ফুট ওখ আৰু একেবাৰে ওপৰৰ অংশ (য'ত কলচী থাকিব লাগিছিল) ভগ্ন অৱস্থাত আছে। সম্ভৱ তাত ধাতুৰ কলচী আছিল। স্থানীয় মানুহেও দ'লটোৰ উপৰিভাগত কেইবছৰমান আগলৈকে এডাল লোহা ওলাই থকা দেখা পাইছিল। দ'লৰ বাহিৰৰ আকৃতি আঠ কোণীয়া আৰু ভিতৰৰ ফালে বৃত্তাকাৰ। ভিতৰৰ অংশটো এটা কুঁৱাৰ দৰে গভীৰ আছিল যদিও বৰ্তমান পোত খাইছে। দ'লৰ দক্ষিণ দিশত এখন প্ৰৱেশদ্বাৰ আছে। প্ৰৱেশদ্বাৰখন মাত্ৰ দুই ফুট বহল আৰু আঢ়ৈ ফুট উচ্চ। দুৱাৰখনেৰে কোনোমতেহে ভিতৰলৈ জুমি চাব পাৰি। স্থানীয় মানুহৰ মতে দ'লৰ ভিতৰৰ গহ্বৰতে গৰখীয়া ল'ৰা এজনৰ বলি হৈছিল আৰু সেই ঠাইতে পিছত দ'ল নিৰ্মাণ কৰা হয়। এই গহ্বৰত বলিৰ তেজ দিয়া হৈছিল বুলি মানুহে বিশ্বাস কৰে। সেইবাবেই এতিয়াও এই গহ্বৰটোত মানুহে পইচা, তামোল-পাণ, খাৰু-মণি আদি আগবঢ়াই ধূপ-চাকি জ্বলায়। দ'লটোৰ প্ৰবেশদ্বাৰৰ দক্ষিণে প্ৰায় আঠ মিটাৰমান দূৰত্বত এখন নখলপীয়া ইটাৰ বেদী আছে। বৰ্তমান ইয়াৰ সাতটা খলপাহে ধৰিবপৰা অৱস্থাত আছে। সম্ভৱ সেই বেদীৰ ওপৰতে দেৱীৰ মূৰ্তি আছিল। বৰ্তমান এই বেদীৰ ওপৰতে শিলত কটা কোনো ভগ্ন মূৰ্তিৰ এভাগ পদযুগল আছে। একে আকৃতিৰ একে অংশতে ভগা শিলৰ মূৰ্তিৰ পদযুগল নীল গোসাঁনীৰ দেৱালয়তো আছে। বেদীৰ ওচৰত অসংখ্য খাঁজ কটা শিলাখণ্ড পৰি আছে। ইয়াৰে কিছুমানৰ মাজৰ অংশটোত ফুটা থকালৈ চাই সেই শিলাবোৰত শলখা বা ৰছী লগাই বেদীৰ ওপৰত চন্দ্ৰতাপৰ দৰে আঁৰি দিয়া হৈছিল বুলি অনুমান কৰিব পাৰি। বেদী থকা ঠাইডোখৰ আহল-বহল আৰু দ'লটো থকা ঠাইখনতকৈ প্ৰায় ২ ফুট ওখ। বেদীৰ পূব দিশত প্ৰায় ৫ মিটাৰ দূৰত্বত এটা মাটিৰ কুঁৱা আছে। কুঁৱাটোৰ বেছি অংশই পোট খাইছে যদিও এতিয়াও প্ৰায় ৪ ফুটমান দ' হৈয়ে আছে। দ'লটোৰপৰা উত্তৰ-পূব দিশত এটা চাৰিকোণীয়া পুখুৰী আছে। গৰখীয়া দ'লৰ চাৰিও দিশত দুটা মাটিৰ গড় আছে।



গৰখীয়া দ'ল কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল সেই বিষয়ে সঠিক তথ্য পোৱা নাযায়। স্থানীয় লোকসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে গৰখীয়া ল'ৰাবিলাকে সেই ঠাইত গৰু চৰাই থাকোতে তেওঁলোকৰ মাজত ফৰিং ধৰি আনি বিৰিনাৰ পাতেৰে বলি দিয়াৰ এটা নিয়ম (খেল) প্ৰচলন আছিল। প্ৰত্যেক দিনাই পাল পাতি একোজনকৈ গৰখীয়াই ফৰিং বিচাৰি আনি লগৰীয়াহঁতক দিছিল আৰু তেওঁলোকে সেই ফৰিং বিৰিণাৰ পাতেৰে ৰেপ দি বলি দিছিল। এদিনাখন এজন দুৰ্ভগীয়া ল'ৰাই ফৰিং বিচাৰি নোপোৱাত গৰখীয়াকেইজনে ধেমালিতে তেওঁকে বলি যাবলৈ ক'লে। লগৰীয়াহঁতৰ কথামতে গৰখীয়াজনে বলিশালত মূৰ গুজি দিয়াত তেওঁৰ ডিঙিত বিৰিণাৰ পাত লগাওঁতেই ডিঙি চিগি যায়। এই অদ্ভুদ ঘটনাত গৰখীয়াবোৰে ভয় খাই অন্য মানুহক ঘটনা সম্পৰ্কে বিৱৰি কয়। সকলোৱে সেই ঠাইত গোসাঁনী লম্ভিছে বুলি চাকি-বন্তি জ্বলাই পূজা দি থাকিবলৈ ল'লে। এনেদৰেই সেই ঠাইডোখৰ গোসাঁনী থান হিচাবে পৰিগণিত হয় আৰু গৰখীয়াসকলৰ দ্বাৰা প্ৰতিষ্ঠা হোৱাৰ বাবে গৰখীয়া থান নামেৰে জনাজাত হয়। প্ৰবাদ আছে যে সেই নিৰ্দিষ্ট দিনটোত ইয়াত এসময়ত নৰবলিও হৈছিল। পৰৱৰ্তী কালত কোনো ৰজাৰ পৃষ্ঠপোষকতাত তাতে পকী দ'ল আৰু মন্দিৰ নিৰ্মাণ হয়।[১৮]

নীল দেৱালয়ত পোৱা তথ্য মতে নীল গোসাঁনী থান আৰু গৰখীয়া থান একেখনেই। পূৰ্বতে এই দেৱালয় গৰখীয়া থানতেই আছিল। মানৰ আক্ৰমণৰ সময়তহে থানখন বৰ্তমানৰ উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা দেউৰী গাঁৱলৈ স্থানান্তৰিত হয়। ক্ষেত্ৰ অধ্যয়ন কৰোঁতে লগ পোৱা নীল দেৱালয় দেউৰী গাঁৱৰ ৮৫ বছৰ বয়সীয়া শ্ৰী কোষৰাম বৰাদেৱৰপৰা জানিব পৰা হয় যে এই দেৱালয় গৰখীয়া দ'লত থকাৰ সময়ত দেউৰীসকলে পূজা কৰিছিল। নীল দেৱালয়ত থকা গোসাঁনীগৰাকী নীলা (গোসাঁনী মূৰ্তিভাগ নীলা) বৰণৰ বাবে নীল গোসাঁনী বোলা হৈছিল। প্ৰতি বছৰে এই দেৱালয়ত ম'হ, ছাগলী, হাঁহ আনকি এসময়ত নৰবলিও দিয়া হৈছিল। মানৰ আক্ৰমণৰ সময়ত নীল দেৱালয় বৰ্তমানৰ উত্তৰ লক্ষীমপুৰলৈ স্থানান্তৰ কৰোঁতে পূৰ্বৰ গৰখীয়া থানত থকা দুভাগ বিগ্ৰহৰ এভাগৰ লগতে বলিকটা দা আৰু অন্যান্য কেইপদমান যাৱতীয় সম্পদ লৈ আহে। আনিব নোৱাৰাখিনি এভাগ বিগ্ৰহসহ গৰখীয়া দ'লৰ থাপনাৰ ওচৰত থকা কুঁৱাটোত পেলাই থৈ আহে। তাৰে ভিতৰত কোনো ৰজাই দেৱালয়লৈ দিয়া এখন তামৰ ফলিও আছিল। এসময়ত নীল দেৱালয়ৰপৰা দেউৰী পূজাৰীও কৰবালৈ আঁতৰি যায়। কিন্তু বাকীসকল গাঁওখনতে থাকি যায়। পূৰ্বতে এই গাঁওখনত দেৱালয়ৰ দেউৰী আৰু দেৱালয়খনৰ লগত জড়িত লোকসকল আছিল বাবেই নীল দেৱালয় থকা গাঁওখনৰ

[১৮] অসমৰ বিভিন্ন ঠাইৰ পকী দ'ল-দেৱালয়বোৰ দৰে গৰখীয়া দ'লটিও নিশ্চয় কোনোবা ৰজা বা ৰাজবংশৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা কথাটো নুই কৰিব নোৱাৰি। কিন্তু এই দ'ল কোন ৰজা বা ৰাজবংশৰ পৃষ্ঠপোষকতাত নিৰ্মাণ হৈছিল সেইটো নিশ্চিত নহয়। নৃতাত্বিক আৰু পুৰাতাত্বিক গৱেষণাৰ দ্বাৰা গৰখীয়া দ'লৰ নিৰ্মাণৰ সময় নিৰ্দ্ধাৰণ কৰিব পাৰিলেহে সেই কথা অনুমান কৰিব পৰা হ'ব।

নাম দেউৰীগাঁও হয়।

প্ৰচলিত জনশ্ৰুতি দুটাৰপৰা অনুমান কৰিব পাৰি যে উত্তৰ লক্ষীমপুৰৰ নীল দেৱালয় পূৰ্বতে গৰখীয়া থানতে (দ'ল) আছিল। গৰখীয়া দ'লত যে এসময়ত এখন গোসাঁনী থান আছিল সেই কথা নীল দেৱালয়ত সংৰক্ষিত বলিকটা দা, গৰখীয়া দ'লত থকা শিলৰ মূৰ্তি, শিলৰ যোনি অঙ্গ, দ'লৰ ভিতৰত থকা গহ্বৰ আৰু দুয়োখন থানতে থকা একে আকৃতিৰ শিলত কটা দেৱীৰ ভগ্ন পদযুগল আদিয়েই প্ৰমাণ কৰে।

তাৰা, উগ্ৰতাৰা, নীলতাৰা আদি দেৱীৰ বিষয়ে **কালিকা পুৰাণ**ত উল্লেখ আছে। নীলতাৰা দেৱীকে সৰস্বতী বোলা হয়। সেই নীল সৰস্বতী দেৱীয়েই সম্ভৱতঃ গৰখীয়া থানত আছিল। গৰখীয়া থান আৰু নীলদেৱালয়ত দুভাগ শিলত কটা ভগ্ন মূৰ্তি আছে। ইয়াৰে নীল দেৱালয়ত থকা ভাগৰ ৰং নীলা আৰু গৰখীয়া থানত থকা ভাগৰ ৰং ক'লা। এতিয়া কথা হ'ল - নীল দেৱালত থকা মূৰ্তিভাগ যদি নীল সৰস্বতীৰ মূৰ্তি হয়, গৰখীয়া দ'লত থকা ভাগ নিশ্চয় তাৰা বা উগ্ৰতাৰাৰ মূৰ্তি হ'ব। বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে 'চুতীয়া জাতি আৰু শক্তি উপাসনা' নামৰ প্ৰবন্ধত সেই বিষয়ে উল্লেখ কৰিছে - 'তাৰা দেৱীৰ ঘোৰ ৰূপৰ বৰ্ণনা কালিকা পুৰাণত আছে। তাৰাক চামুণ্ডাও বোলা হয়। উগ্ৰতাৰা, নীলতাৰা আদি তাৰাৰে মূৰ্ত্তিভেদ। বৌদ্ধ ধৰ্ম্মত তন্ত্ৰৰ প্ৰাদুৰ্ভাৱ ঘটিল, তেতিয়া নানা দেৱ-দেৱী কল্পনা আৰু পূজা উপসনাৰ বিধান হ'ল। তাৰাও তান্ত্ৰিক দেৱী। নীলতাৰা, নীল সৰস্বতী নামেও বিখ্যাত। এইবিলাক দেৱীৰ পূজা বাম ভাৱে (বামনয়) হৈছিল।'[৯৯] জনশ্ৰুতিত উল্লেখিত এই দেৱালয়ত হোৱা নৰবলি আৰু অন্যান্য জীৱ-জন্তু বলি দিয়াৰ প্ৰথালৈ চালে এই দেৱালয় পূৰ্বতে কোনো তান্ত্ৰিক দেৱীৰ মন্দিৰ আছিল যেনেই অনুমান হয়।

স্থানীয় মানুহবোৰে গৰখীয়া থানখন চুতীয়াসকলে প্ৰতিষ্ঠা কৰা বুলি বিশ্বাস কৰে। পূৰ্বতে এই থানত যে দেউৰীয়ে পূজা কৰিছিল সেই কথা নীল দেৱালয়ৰ দেউৰী গাঁওখনেই প্ৰমাণ কৰে। নীল দেৱালয় গৰখীয়া থানতে আছিল। গৰখীয়া থানত থকা এভাগ বিগ্ৰহেই এতিয়া নীল দেৱালয়ত আছে, যিভাগৰ বৰণ নীলা। দ'ল আৰু বেদীৰ নিৰ্মাণ শৈলী আৰু আকাৰ-আকৃতিলৈ লক্ষ্য কৰিলে এয়া আহোমসকলে নিৰ্মাণ কৰা যেন নালাগে কাৰণ আহোমসকলে নিৰ্মাণ কৰা প্ৰায়বোৰ দ'ল-দেৱালয়েই যথেষ্ট ওখ আৰু আহল-বহল। ১৯৬৬ খ্ৰীঃত গৰখীয়া দ'ল ভ্ৰমণ কৰা সেই সময়ৰ উত্তৰ লক্ষীমপুৰ মহকুমাৰ মহকুমাধিপতি চি. ডি. ত্ৰিপাঠীয়েও গৰখীয়া দ'লক চুতীয়াসকলৰ মন্দিৰ বুলি উল্লেখ কৰিছে - "নিঃসন্দেহে এইবিলাক আহোমৰ পৰৱৰ্ত্তী যুগৰ। প্ৰথম কথা হ'ল ঘাই মন্দিৰটো ইমান বেলেগ ধৰণে নিৰ্মিত যে ইয়াত কোন দেৱতাৰ পূজা চলিছিল সেইটো নিৰ্ণয় কৰা টান। মন্দিৰটোৰ ভিতৰত প্ৰবেশ কৰাও প্ৰায় অসম্ভৱ। মই আগতে উল্লেখ কৰাৰ দৰে ইয়াৰ দুৱাৰখন কথম্‌পি দুফুট ওখ আৰু দুফুট বহলহে। গুপ্ত (গোপনীয়)

[৯৯] স্মৃতিগ্ৰন্থ, **চুতীয়া ৰাণী বীৰাঙ্গনা, সতী সাধনীৰ স্মৃতি চাৰণ**, ২০ এপ্ৰিল ১৯৯০ খ্ৰীঃ,পৃঃ ১১।



কিবা উপাসনাৰ বাবে এই মন্দিৰটো ব্যৱহাৰ কৰা হৈছিল বুলি সকলোৱে বিশ্বাস কৰে। আহোম যুগৰ কোনো মন্দিৰেই এইটো ধৰণে নিৰ্মিত হোৱা নাই।" (It is beyond doubt that these are pre-Ahom. First of all, the main temple, is so peculiar that it is difficult to imagine the type of worship that was done there. It is almost impossible to enter it. As I have already noted the opening is hardly 2'X2'. One is forced to believe that the place was meant for some esteric worship. No Ahom temple is constructed in this manner.)[১০০] বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱেও এই থানখনক চুতীয়াসকলৰে বুলি কব খোজে। তেখেতৰ পূৰ্বোক্ত প্ৰবন্ধত লিখিছে যে - 'তাৰা, উগ্ৰতাৰা, নীলতাৰাৰ মন্দিৰ ঠায়ে ঠায়ে আছিল। লক্ষীমপুৰ জিলাৰ হাৰ্হি, ঘূগুহা, নীলথান, লোণপানী দেৱালয়, মাঘনোৱা আদি তাৰা, উগ্ৰতাৰা আৰু নীলতাৰাৰ মন্দিৰ আছিল। এইবিলাকৰ উপাসক আৰু পৃষ্ঠপোষক আছিল চুতীয়াসকল। এই সমগ্ৰ অঞ্চলেই এসময়ত চুতীয়া ৰাজ্য আছিল'।[১০১]

উপৰোক্ত বৰ্ণনাসমূহৰপৰা এই কথা অনুমান হয় যে এই থানখন নিশ্চয় প্ৰাক্ আহোম যুগতে চুতীয়াসকলৰ দ্বাৰা প্ৰতিষ্ঠা হৈছিল। চুতীয়া ৰাজ্যৰ পতন আৰু ওচৰতে থকা মাজুলীৰ বৈষ্ণৱ সত্ৰসমূহৰ বৰ্দ্ধিত প্ৰভাৱৰ দ্বাৰা এই তান্ত্ৰিক থানখনৰ গুৰুত্ব কমি আহিবলৈ ধৰে। ফলত মানৰ আক্ৰমণৰ সময়লৈকে থানখনৰ অস্তিত্বটোহে কোনোমতে জীয়াই আছিল। মানৰ আক্ৰমণৰ সময়ত এই থানখনৰ বিস্তৰ ক্ষতি হয় আৰু উত্তৰ লক্ষীমপুৰলৈ স্থানান্তৰিত হয়। তেতিয়াৰ পৰাই এই ঠাইডোখৰ এৰাপৰলীয়া হৈ পৰে। পুনৰ বিংশ শতিকাৰ পৰাহে এই থানখন মানুহৰ দৃষ্টিত পৰে। গৰখীয়া থানৰ আশে-পাশে আৰু থানত থকা কুঁৰাটোত খনন কাৰ্য চলালে বহুতো তথ্য উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে।

## পঞ্চানন দেৱালয়

উত্তৰ লক্ষীমপুৰ চহৰৰ মাজ-মজিয়াত পঞ্চানন দেৱালয় অৱস্থিত। এই দেৱালয়ত প্ৰতি বছৰে দূৰ্গা পূজা অনুষ্ঠিত হয়। পঞ্চানন দেৱালয় পূৰ্বতে উত্তৰ লক্ষীমপুৰ নগৰৰপৰা চাৰি কিঃমিঃ দক্ষিণ-পূবত ঘাৰমৰাৰৰ ওচৰৰ কৰ্চ্চন বকল গাঁৱত আছিল। কোনো এজন ব্ৰিটিছ বিষয়াই এই দেৱালয় বৰ্তমানৰ ঠাইলৈ তুলি আনে।

পঞ্চানন দেৱালয়ৰ ইতিহাস সম্পৰ্কে বিশেষ তথ্য পোৱা নাযায় যদিও জনশ্ৰুতিৰ মতে এই দেৱালয় অতি পুৰণি, য'ত এসময়ত ম'হবলি পৰ্যন্ত অনুষ্ঠিত হৈছিল। এই

[১০০] C.D. Tripathi, **A Pre-Ahom Chutiya Temple in the North Lakhimpur District**;ঐ, পৃঃ ১৮।

[১০১] স্মৃতিগ্ৰন্থ, **চুতীয়া ৰাণী বীৰাঙ্গনা, সতী সাধনীৰ স্মৃতি চাৰণ**, (২০ এপ্ৰিল ১৯৯০ খ্ৰীঃ,পৃঃ ১১)।

ঘৰত পোৱা এখন বুৰঞ্জীত চুতীয়া ৰাজবংশৰ উৎপত্তি আৰু ৰাণী সাধনী সম্পৰ্কীয় যি চমু বৃত্তান্ত পোৱা গৈছিল সেয়াও তেওঁ একেলগে প্ৰকাশ কৰিছিল। এই দ্বিতীয়খন বুৰঞ্জী মূলতঃ আখ্যানহে। ইয়াত চুতীয়া ৰাজত্বকালৰ কোনো বিৱৰণ নাই আৰু চন-তাৰিখৰো উল্লেখ নাই। প্ৰথমখনত চুতীয়া ৰাজবংশৰ যি তালিকা দিয়া হৈছে, সেয়া সম্পূৰ্ণ নহয় আৰু ইয়াৰ চন-তাৰিখবোৰো নিৰ্ভৰযোগ্য নহয়। উদাহৰণস্বৰূপে, চুতীয়া ৰজা গৌৰীনাৰায়ণ ওৰফে ৰত্নধ্বজ পালক ৮০ বছৰ (১১৪৬-১২২৬ খ্ৰীঃ) ৰাজভোগ দিয়া হৈছে যিটো অস্বাভাৱিক যেন লাগে। চুতীয়া ৰাজ্যৰ পতনৰ তাৰিখটোও (১৫৯৮ শক অৰ্থাৎ ১৬৭৬ খ্ৰীঃ) কোনোপধ্যেই বুৰঞ্জীসন্মত নহয়। তদুপৰি বুৰঞ্জীখনৰ কেইবা ঠাইতো আখ্যান আৰু ঐতিহাসিক তথ্য সংমিশ্ৰণ হৈ আছে।

ৰায়বাহাদুৰ গোলাপ চন্দ্ৰ বৰুৱাৰ হাতত দুখন চুতীয়া বুৰঞ্জী আছিল। তাৰে এখন আহোম আখৰেৰে অসমীয়া ভাষাত লিখা আৰু আনখন অসমীয়া লিপিৰে অসমীয়া ভাষাত লিখা। প্ৰথমখনত চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা বীৰবৰক বিহবৰ বোলা হৈছে আৰু তেওঁক ভীষ্মকৰ বংশধৰ বুলি চিনাকি কৰা হৈছে। এইখন বুৰঞ্জীৰ ৰত্নধ্বজপালৰ ৰাজত্বকালৰ বিৱৰণ পূৰ্ব উল্লেখিত প্ৰথমখন বুৰঞ্জীৰ সৈতে প্ৰায় একে। অৱশ্যে ইয়াত স্পষ্টকৈ কোৱা হৈছে যে ৰত্নধ্বজপালৰ পুত্ৰ বিজয়ধ্বজৰ কাৰণেহে কমতাৰ ৰজাৰ কন্যাক বিবাহৰ প্ৰস্তাৱ দিয়া হৈছিল। এইখন বুৰঞ্জী সাধাৰণ চুতীয়া যুৱক নীতিপালক বিয়া কৰাবলৈ সাধনীয়ে অনিচ্ছা প্ৰকাশ কৰাতে শেষ হৈছে। দ্বিতীয়খন বুৰঞ্জীত বীৰপালৰ আদি পৰিচয় এজন ম'হপালক হিচাপেহে দিয়া হৈছে। ইয়াত কুবেৰৰ ঠাইত দেৱী মহামায়াৰ বৰত বীৰপালে পুত্ৰ সন্তান আৰু সোণৰ মেকুৰী লাভ কৰাৰ কথা কোৱা হৈছে। কিন্তু সেইজন পুত্ৰ চুতীয়াসকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা ৰত্নধ্বজপাল নহয়, তেওঁ সাধনীৰ পিতাক ধৰ্মধ্বজপালহে। সাধনীৰ নামটো বুৰঞ্জীখনত তেজা বুলি দিয়া হৈছে। ধৰ্মধ্বজপালে জীয়েকক সোণৰ মেকুৰী দি নীতিপালক ৰাজপাটত বহুওৱাৰ কথাতে বুৰঞ্জীখন শেষ হৈছে।

ড° লীলা গগৈ সম্পাদিত **চুতীয়া ৰজাৰ বুৰঞ্জী**খনৰ[৯২] বিৱৰণ **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ৰ সৈতে প্ৰায় একে। কিন্তু সিখনতকৈ এইখন পঢ়িবলৈ বেছি ভাল লগা। সম্ভৱতঃ গগৈদেৱে সম্পাদনা কৰোঁতে আৱশ্যকবোধে দুই-এঠাইত হাত ফুৰাই ইয়াৰ ভাষা ৰসাল কৰি তুলিছিল।

চুতীয়াসকলৰ এসময়ৰ এজন নেতৃস্থানীয় লোক, স্বাধীনতা সংগ্ৰামী গোপীনাথ বৰদলৈৰদ্বাৰা সংগৃহীত আৰু প্ৰকাশিত **চুতীয়া বুৰঞ্জী**খনত ওপৰত উল্লেখ কৰা গোলাপ চন্দ্ৰ বৰুৱাৰ বুৰঞ্জী দুখনৰ নকল প্ৰকাশ কৰা হৈছে। তদুপৰি সদৌ অসম চুতীয়া সন্মিলনৰ

[৯২] সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতিতম্ অধিবেশনৰ **স্মৃতিগ্ৰন্থ**, চুতীয়া কাঁড়ী, উত্তৰ লক্ষীমপুৰ, মে' ১৯৭৯।



প্ৰথম সভাপতি ৰজনীকান্ত বৰদলৈ, দ্বিতীয় সন্মিলনৰ সভাপতি নীলমণি ফুকন আৰু চতুৰ্থ সন্মিলনৰ সভাপতি সৰ্বেশ্বৰ শৰ্মাকটকীৰ ভাষণৰ কিছু অংশ তুলি দিয়া হৈছে। নিজৰ ফালৰপৰা বৰদলৈদেৱে চুতীয়া বুৰঞ্জী চাৰিভাগত ভগাই এটা অধ্যায় ৰচনা কৰিছে। এই চাৰিটা ভাগ হ'ল একাদিক্ৰমে (১) আদিযুগ বা ভীষ্মকৰ ৰাজত্ব, (২) পৰ্বতীয়া ঠাইত বাস, (৩) অভ্যুদয়ৰ কাল আৰু (৪) আহোমৰ অধীনৰ পৰা বৰ্তমানৰ অৱস্থালৈকে। তেওঁ কেইটামান নতুন তথ্যৰ সন্তেদ দিছে, কিন্তু সেইবিলাকৰ উৎস জনোৱা নাই। য'তদূৰ সম্ভৱ জনশ্ৰুতিৰ পৰাই তেওঁ সেইবোৰ সংগ্ৰহ কৰিছিল। তেওঁৰ ৰচনা চুতীয়া ৰাজত্বকালৰ এটা সাধাৰণ বিৱৰণহে, বিশ্লেষণাত্মক অধ্যয়ন নহয়। আখ্যানৰপৰা ঐতিহাসিক তথ্য পৃথক কৰাৰ কোনো চেষ্টা বুৰঞ্জীখনত দেখা নাযায়। তৎসত্বেও তেওঁ সংগ্ৰহ কৰা কেইটামান তথ্যৰ ঐতিহাসিক ভিত্তি নথকা নহয়।[৯৩]

ডব্লিউ.বি. ব্ৰাউনৰ (W.B Brown) **An Outline Grammar of the Deori Chutiya Language Spoken in Upper Assam** (চমুকৈ **দেউৰী-চুতীয়া গ্ৰামাৰ**)ত সন্নিবিষ্ট ডেল্টনৰ চুতীয়াসকলৰ ওপৰত দিয়া টোকাটো **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ৰ ওপৰত নিৰ্ভৰ কৰি প্ৰস্তুত কৰা হৈছে। কিন্তু ডেল্টনে চুতীয়া ৰাজবংশাৱলীৰ ৰত্নধ্বজপাল আৰু নীতিপালৰ মাজত মাত্ৰ পাঁচজন ৰজাৰ নামহে দিছে। ইয়াৰ ওপৰত মন্তব্য আগবঢ়াই মিষ্টাৰ কেলনাৰে (Mr. Kellner) **দেওধাই অসম বুৰঞ্জী**ত দিয়া সম্পূৰ্ণ বংশাৱলীখন দাঙি ধৰিছে। কেলনাৰে চুতীয়া ৰাজবংশৰ অমৃত নাৰায়ণৰপৰা সংগ্ৰহ কৰা **চুতীয়া বংশাৱলী**খনৰ মতে আহোম স্বৰ্গদেউ চুহুংমুঙে চুতীয়া ৰজা ধীৰনাৰায়ণৰ পুত্ৰ যুৱৰাজ সাধক নাৰায়ণক বধ নকৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ধনশিৰী নৈৰ পূব অঞ্চলত স্থাপন কৰিছিল। কেলনাৰে এই বংশাৱলীৰ ওপৰত নিৰ্ভৰ কৰি সাধাক নাৰায়ণৰপৰা আৰম্ভ কৰি ১৮২৯ খ্ৰীঃত মৃত্যুবৰণ কৰা চন্দ্ৰনাৰায়ণলৈকে মুঠ বাৰজন বংশধৰৰ নাম দিছে। তেওঁ অৱশ্যে এই বংশধৰসকলৰ ভোগৰ কাল সম্পৰ্কত সন্দেহ প্ৰকাশ কৰিছে।[৯৪]

**ছোট কোঁৱৰৰ বুৰঞ্জী** নামৰ মঙ্গলদৈৰ গাছপোটাৰ লেখৰু ডেকাৰ ৰচিত আৰু কোযেশ্বৰ বৰুৱা সম্পাদিত বুৰঞ্জীখনত[৯৫] চুতীয়া ৰাজত্বকালৰ এটি চমু বিৱৰণ আৰু লগতে আহোম স্বৰ্গদেৱৰদ্বাৰা সাধক নাৰায়ণক কৰতলীয়া ৰজা হিচাপে সংস্থাপন আৰু

[৯৩] বুৰঞ্জীখনত প্ৰকাশৰ চন-তাৰিখ উল্লেখ কৰা হোৱা নাই। বুৰঞ্জীখন অৱশ্যে ১৯৩০ চনত অনুষ্ঠিত আসাম চুতীয়া সন্মিলনৰ চতুৰ্থ অধিবেশৰ পিছত প্ৰকাশ হৈছিল বুলি জনা যায়।

[৯৪] 'Notes on the Chutiyas of Upper Assam by Lieutenant E.T. Dalton'; 'Remarks by Late Mr. H.F. Kellner on the foregoing paper' appended to W.B. Brown, **An Outline Grammar of the Deori-Chutiya Language spoken in Upper Assam**, Shillong,1895,pp.75-84.

[৯৫] দ্বিতীয় প্ৰকাশ, ২০০৫।

দেৱালয়খনৰ নাম কিয় পঞ্চানন দেৱালয় হ'ল সেই বিষয়ে সঠিক তথ্য পোৱা নাযায়। শিৱৰ আন এটা নাম পঞ্চানন, সেই বাবেও এই দেৱালয়খনৰ নাম পঞ্চানন দেৱালয় হ'ব পাৰে। কিন্তু উক্ত দেৱালয়ত কোনো শিৱৰ মূৰ্তি নাই আৰু পূৰ্বতে থকাৰো ইঙ্গিত পোৱা নাযায়। পূজাৰীৰ মতে ইয়াত থকা মূৰ্তি ভাগ দক্ষিণ কালিকা মূৰ্তিহে, শিৱৰ নহয়। দেৱালয়ৰ বৰ্তমান পূজাৰী তথা এই দেৱালয়ৰ পূৰ্বৰ ঠাই কৰ্চ্চন বকল গাঁৱৰ মানুহৰ মতে এই দেৱালয়ৰ এজন পূজাৰীৰ নাম পঞ্চানন আছিল; তেওঁৰ নাম অনুসৰিয়েই পঞ্চানন দেৱালয় হয়।

পূৰ্বতে কৰ্চ্চন বকল গাঁৱত অৱস্থিত পঞ্চানন দেৱালয়ৰ পুৰণি ভেটি, পুখুৰী আৰু চৌহদৰ চাৰি ঢাপ আদিৰ চিন এতিয়াও দেখিবলৈ পোৱা যায়। কৰ্চ্চন গাঁৱৰ সকলো বাসিন্দাই চুতীয়া জাতিৰ লোক। গাঁওখনৰ নাম কিয় কৰ্চ্চন হ'ল সেই কথা জনা নাযায়। এই গাঁওখনৰ নিৰ্দিষ্ট দুটা পৰিয়ালেই পূৰ্বৰেপৰা বংশানুক্ৰমিকভাৱে পঞ্চানন দেৱালয়ত বলি কাটি আহিছে। পূৰ্বৰ পৰম্পৰা অনুসৰি এতিয়াও এই পৰিয়াল দুটাৰ মানুহে তাত গৈ বলি কাটে, অন্য মানুহে নাকাটে। বৰ্তমান পঞ্চানন দেৱালয়ত এভাগ কালিকা মূৰ্তি, দুখন সাঁচিপতীয়া পুথি আৰু ছয় খন বলিকটা দা আছে।

## ঘুগুহা দ'ল

ধেমাজি জিলাৰ অন্তৰ্গত নৰোৱাথানৰপৰা চাৰি কিঃমিঃ দক্ষিণত ধেমাজি-ঢকুৱাখনা গড়কাপ্তানি পথৰ দাঁতিত ঘুগুহা দ'ল অৱস্থিত। ঘুগুহা দ'ল কোনে কেতিয়া নিৰ্মাণ কৰিছিল, এই দ'লক কিয় ঘুগুহা বুলি কোৱা হয় আৰু ইয়াত কি ধৰণৰ পূজা-পাতল হৈছিল সেই বিষয়ে সঠিককৈ জনা নাযায়। এই সম্পৰ্কত স্থানীয় মানুহৰ মাজত প্ৰচলিত জনশ্ৰুতিবোৰো একমত নহয়। দ'লটোৰ আকাৰ আৰু নিৰ্মাণ শৈলী মাঘনোৱা দ'লৰ সৈতে প্ৰায় একে। ঘুগুহা দ'লটোৰ উচ্চতা প্ৰায় ২৫ ফুট। দ'লৰ আকৃতি আঠকোণীয়া। প্ৰতিখন বেৰৰ দৈৰ্ঘ ২ মিটাৰ। দ'লৰ ওপৰৰ অংশও আঠকোণীয়াকৈ ধেনুভিৰীয়া হৈ ক্ৰমান্বয়ে জোঙা হৈ গৈছে আৰু একেবাৰে ওপৰত তিনিটা কলচীৰ ওপৰত এপাত ত্ৰিশূল আছে। পূৰ্বতে কলচীৰ ওপৰত ত্ৰিশূল আছিল নে নাই সেয়া নিশ্চিত নহয়। দ'লৰ সন্মুখ ভাগত পূৰ্বতে ইটাৰে নিৰ্মিত বাটচ'ৰা আছিল যদিও বৰ্তমান ভাগিল। এই দ'লৰ চাৰিওকাষে প্ৰায় ত্ৰিশবিঘা মাটি সামৰি মাটিৰ ঢাপ আছে। বৰ্তমান ইয়াৰ অৱশিষ্ট দেখিবলৈ পোৱা যায়। এই ঢাপটোৰ ভিতৰত আৰু এটা ঢাপ দেখিবলৈ পোৱা যায়। দ'লৰ একেবাৰে কাষত এটা ইটাৰ দৌহদৰ পকী গড়ৰ অৱশিষ্ট এতিয়াও আছে। ঘুগুহা দ'লত পূৰ্বতে এখন পবিত্ৰ ধৰ্মীয় থান আছিল যেন অনুমান হয়। কিন্তু পূৰ্বতে ইয়াত কি ধৰণৰ পূজা প্ৰচলন হৈছিল সেই বিষয়ে জনা নাযায়। দ'লৰ আকাৰ



আৰু নিৰ্মাণ শৈলীলৈ চাই এয়া আহোম যুগৰ স্থাপত্য যেন লাগে যদিও এই দ'ল কোনে কেতিয়া নিৰ্মাণ কৰিছিল সেই কথা কোনো বুৰঞ্জীতে উল্লেখ নাই। আনহাতে দ'লৰ ইটাৰ গঠনৰ বৈসাদৃশ্য আৰু দ'লটোৰ ওপৰৰ অংশৰ ওখোৰা-মোখোৰাবোৰলৈ লক্ষ্য কৰিলে এই দ'লটোৰ পুনৰ নিৰ্মাণ যে হৈছিল সেই কথা ধৰিব পাৰি। বহুতে এই দ'লটো স্বৰ্গদেৱ চুদাংফা বা বামুণী কোঁৱৰে নিৰ্মাণ কৰা বুলি কয়। স্বৰ্গদেৱ চুদাংফাই এই দ'ল নিৰ্মাণ কৰা কথাটো বিচাৰ্যৰ বিষয়। কাৰণ চুদাংফাৰ ৰাজত্বকাল ১৩৯৮-১৪০৭ খ্ৰীঃ। সেই সময়ত এই সমগ্ৰ অঞ্চলটো চুতীয়া ৰাজ্যৰ অন্তৰ্গত আছিল। গতিকে আনৰ ৰাজ্য এখনত চুদাংফাই দ'ল নিৰ্মাণ কৰা কথাটো সহজে মানি ল'ব নোৱাৰি। চুদাংফাৰ ৰাজত্ব কালতে আহোম ৰাজকাৰেঙত হিন্দুৰ শালগ্ৰাম পূজা চলিছিল যদিও চুদাংফাই হিন্দু ধৰ্ম গ্ৰহণ কৰা, দ'ল-দেৱালয় নিৰ্মাণ কৰা কথা আৰু সেই সময়লৈকে আহোমসকলে ইটাৰে ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ কথা কোনো বুৰঞ্জীত পোৱা নাযায়।

বুৰঞ্জীত উল্লেখ আছে যে চুদাংফা বা বামুণী কোঁৱৰ হাবুং অঞ্চলতে এক ব্ৰাহ্মণৰ ঘৰত লালিত-পালিত হৈ ডাঙৰ হৈছিল। বৰ্তমান ঘুগুহা দ'লো পুৰণি হাবুঙৰ অন্তৰ্গত বুলিয়ে ধৰা হয়, য'ত বহুতো ব্ৰাহ্মণে বসতি কৰিছিল। এই হাবুঙীয়া ব্ৰাহ্মণসকলৰ জৰিয়তে এই অঞ্চলত চুতীয়া ৰজাৰ পৃষ্ঠাপোষকতাত অসংখ্য মঠ-মন্দিৰ গঢ়ি উঠিছিল। ঘুগুহা দ'ল থকা ঠাইতো পুৰণি কোনো মন্দিৰ থকাৰ কথাটো উলাই কৰিব নোৱাৰি, য'ত পৰৱৰ্তী সময়ত সম্ভৱতঃ কোনো আহোম ৰজাই সেই মন্দিৰ পুণৰ নিৰ্মাণ কৰিছিল। চুদাংফা বামুণী কোঁৱৰৰ জন্মস্থান হিচাবে এই ঠাইত ঘুগুহা দ'ল চুদাংফা বা বামুণী কোঁৱৰে নিৰ্মাণ কৰিছিল বুলি স্থানীয় মানুহে ভাবে। অৱশ্যে চুদাংফাই এই মন্দিৰৰ পৃষ্ঠপোষকতা কৰাৰ কথাটো অস্বীকাৰ কৰিব নোৱাৰি, কাৰণ ধৰ্মীয় স্থান যি ৰাজ্যৰে অন্তৰ্গত নহওক কিয় অন্য ৰাজ্যৰ ৰজা-প্ৰজা সকলোৰে বাবে মন্দিৰৰ দুৱাৰ সদায় খোলা।

আন এক জনশ্ৰুতিৰ মতে এই দ'ল স্বৰ্গদেৱ শিৱসিংহই মহাৰাণী অম্বিকাৰ স্মৃতিত নিৰ্মাণ কৰাইছিল। সেই কথাৰ বিশ্বাস যোগ্যতা নথকা নহয়। স্বৰ্গদেৱ শিৱসিংহই (১৭১৪-১৭৪৪ খ্ৰীঃ) অসমৰ বিভিন্ন ঠাইত বিভিন্ন মঠ-মন্দিৰ নিৰ্মাণ কৰিছিল আৰু বহুতো পুৰণি মন্দিৰো পুনৰ নিৰ্মাণ কৰিছিল। সম্ভৱতঃ এই ঠাইতে শিৱসিংহৰ দ্বাৰা পুৰণি মন্দিৰ পুনৰ নিৰ্মাণ কৰা হৈছিল আৰু সেয়া ৰাণী অম্বিকাৰ নামত উচৰ্গা কৰিছিল। উল্লেখযোগ্য হাবুং অঞ্চলত পুৰণি পকী দ'ল-দেৱালয়ৰ ভিতৰত এই দ'লটো আকাৰত আটাইতকৈ ডাঙৰ। স্বৰ্গদেৱ শিৱসিংহই এই অঞ্চলত অন্য বহুতো দ'ল-দেৱালয় পকীকৈ নিৰ্মাণ কৰা উদাহৰণ আছে যদিও সেইবোৰ ইমান ডাঙৰ নাছিল। এই দ'লটো কিয় অন্যবোৰ দ'ল-দেৱালয়তকৈ ডাঙৰকৈ নিৰ্মাণ কৰিছিল সেই বিষয়ে চিন্তাৰ অৱকাশ আছে।

হাবুং অঞ্চলত অন্যান্য তান্ত্ৰিক মঠ-মন্দিৰৰ প্ৰাদুৰ্ভাবলৈ চালে এই মন্দিৰো পূৰ্বতে

কোনো তান্ত্ৰিক ধৰ্মীয় পীঠেই আছিল যেন অনুমান হয়। স্থানীয় মানুহে এয়া শিৱ মন্দিৰ বুলি কয় যদিও এই মন্দিৰত বৰ্তমান কোনো বিগ্ৰহ নাই। ঘুগুহা দ'লৰ ওচৰতে মণিপুৰীয়া গোসাঁনীৰ থান আছে। এই গোসাঁনী থানখনো কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল আৰু মণিপুৰীয়া গোসাঁনী বুলি কিয় কোৱা হয় সেই বিষয়ে সঠিককৈ জনা নাযায়। বহুতে ক'ব খোজে যে মণিপুৰীয়া গোসাঁনীৰ বিগ্ৰহ পূৰ্বতে ঘুগুহা দ'লতে আছিল আৰু মানৰ দিনত সেই বিগ্ৰহ আঁতৰাই নিয়া হয়। মানৰ আক্ৰমণতে দ'লটো অপবিত্ৰ হোৱাৰ বাবে পুনৰ তালৈ বিগ্ৰহ ঘূৰাই নিয়া নহ'ল। মহেশ্বৰ নেওগৰ সম্পাদিত **পৱিত্ৰ অসম**, (পৃঃ৭)-ত এই কথা উল্লেখ আছে। জনশ্ৰুতি মতে এই দ'লৰ বিগ্ৰহভাগ আহোম সৈন্যই যুদ্ধৰ সময়ত লগত লৈ ফুৰে। স্থানীয় ৰাইজে বৰ্তমান দ'লটোৰ সন্মুখত এক নামঘৰ নিৰ্মাণ কৰি তাতে শিৱলিঙ্গ প্ৰতিস্থা কৰি শিৱ মন্দিৰ হিচাপে গঢ়ি তুলিছে।

## মণিপুৰীয়া গোসাঁনীৰ থান

ধেমাজি জিলাৰ বৰদলনি মৌজাৰ অন্তৰ্গত ঘুগুহা দ'লৰ পৰা পাঁচ কিঃমিঃ দূৰত্বত কড়া নদীৰ পাৰত মণিপুৰীয়া গোসাঁনীৰ থান অৱস্থিত। এই থানখন কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল সেই বিষয়ে সঠিক তথ্য পোৱা নাযায়। স্থানীয় মানুহৰ মতে মণিপুৰীয়া গোসাঁনী থানখন পূৰ্বতে বৰদলনিৰ ওচৰৰ দেওবাৰী গাঁৱত আছিল। উল্লেখযোগ্য যে বৰদলনিৰ দেওবাৰী গাঁৱত (য'ত মণিপুৰীয়া গোসাঁনীৰ থান আছিল বুলি কোৱা হয়) এখন পুৰণি মঠ-মন্দিৰ বা দেৱালয় থকাৰ স্মৃতি চিহ্ন আছে। তাতে এটা পকী নাদ, ঘৰৰ ভেটি আৰু ওচৰতে পোত খোৱা পুখুৰীৰ চিন দেখিবলৈ পোৱা যায়। কুঁৱাটোৰ ওচৰতে এভাগ শিলৰ মূৰ্তি আছে। মূৰ্তিভাগ কোন দেৱতাৰ আছিল সেয়া থিৱাং কৰিব নোৱাৰি।

এই থানখন কিয় মণিপুৰীয়া গোসাঁনীৰ থান হ'ল সেই বিষয়ে সঠিকৈ জনা নাযায়। জনশ্ৰুতি মতে এই গোসাঁনী মূৰ্তিভাগ পূৰ্বতে চুতীয়াসকলে যুদ্ধৰ সময়ত লগত লৈ ফুৰিছিল। আহোমসকলে এই মূৰ্তিভাগ কৌশলেৰে চুতীয়াসকলৰপৰা হস্তগত কৰে, ফলত চুতীয়াসকল যুদ্ধত পৰাজিত হয়। পৰৱৰ্তী কালত আহোমসকলেও যুদ্ধৰ সময়ত এই মূৰ্তি লগত লৈ ফুৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত আহোম ৰজাৰ মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নীয়ে বিদ্ৰোহৰ অৱসানৰ বাবে এই বিগ্ৰহৰ পূজা কৰিছিল বাবেই গোসাঁনীৰ মূৰ্তিভাগক মণিপুৰীয়া গোসাঁনী বুলি কোৱা হয়।

বৰ্তমান মণিপুৰীয়া গোসাঁনী থানত পুৰণি বিগ্ৰহ নাই। ইয়াত কাঠৰ নিৰ্মিত দুভাগ দেৱী মূৰ্তিহে আছে। পূজাৰীৰ মতে এই মূৰ্তি দুভাগ হৈছে বৰআই আৰু সৰুআই। পূৰ্বতে ইয়াত বলি পূজা হৈছিল যদিও বৰ্তমান সেই নিয়ম নাই। স্থানীয় মানুহে এতিয়াও এই থানখনত নিয়মিতভাবে পূজা-পাতল কৰি আছে।



## চৰাইদেও

চুতীয়াসকলৰ অন্যান্য ধৰ্মীয় থানসমূহৰ লগতে চৰাইদেও পাহাৰত অৱস্থিত দেওশালো অন্যতম আছিল। চৰাইদেও অঞ্চলত প্ৰথমজনা আহোম স্বৰ্গদেৱ চুকাফাই ৰাজধানী স্থাপন কৰাৰ আগৰে পৰাই চৰাইদেও পাহাৰত কোনো দেৱতাৰ মন্দিৰ থকাৰ প্ৰমাণ পোৱা যায়। অৱশ্যে ইয়াত কোন দেৱতাৰ মন্দিৰৰ আছিল সেই কথা নিশ্চিত নহয়। চৰাইদেও পাহাৰত পূৰ্বতে কোনো দেৱতাৰ থান বা মন্দিৰ চুতীয়াসকলে প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। সেই বিষয়ে ড° লীলা গগৈয়ে লিখিছে যে, "আহোমসকল অসমলৈ অহাৰ আগতে আৰু বৰাহীসকলেও এই অঞ্চলত (চৰাইদেও) বাসকৰাৰ আগতে চুতীয়াসকলৰ এটা মন্দিৰ আছিল।[১০২]

চুতীয়া জাতিৰ এটা ফৈদ বা সামাজিক ভাগ বৰাহীসকল চৰাইদেও পাহাৰ আৰু ইয়াৰ সমীপৱৰ্তী ঠাই সমূহত বাস কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। বৰাহীসকলেও চুতীয়াসকলৰ আৰ্হিৰে হিন্দুৰ দেৱ-দেৱীৰ উপাসনা কৰিছিল। সম্ভৱতঃ চুতীয়াসকলে প্ৰতিষ্ঠা কৰা দেও থান বা মন্দিৰত পিছলৈ বৰাহীসকলে তেওঁলোকৰ প্ৰধান উপাসনাৰ স্থলি হিচাবে ব্যৱহাৰ কৰি আহিছিল। দেও বা দেৱতাৰ মন্দিৰ অৱস্থিত থকা পাহাৰত নগৰ পতাৰ বাবেই এই পাহাৰক দেও পাহাৰ নগৰ বা চৰাইদেও বোলা হৈছিল। চৰাইদেও শব্দটো টাই আহোম ভাষাৰ শব্দ। ড° লীলা গগৈদেৱে টাই ভাষাৰ উদ্ধৃতিৰে চৰাইদেও শব্দৰ দুটা অৰ্থ ব্যাখ্যা কৰিছে। প্ৰথমটোৰ মতে - 'চে-ৰা-ডেউ' (চে - নগৰ; ৰা - চুতীয়া; ডেউ - দেৱতা) অৰ্থাৎ 'চুতীয়া দেৱতাৰ নগৰ'। আনটো ব্যাখ্যা হৈছে - 'চে-ৰাই-ডয়' (চে - নগৰ; ৰাই - জিলিকি থকা; ডয় - পৰ্ব্বত) অৰ্থাৎ 'জিলিকি থকা পৰ্বতীয়া নগৰ'। চৰাইদেও শব্দটো এই দুটাৰ এটাৰ পৰা অসমীয়া ৰূপত 'চৰাইদেও' কৰা হয় আৰু পিছত সংস্কৃত পণ্ডিতে পাই বিহগাদ্ৰী নাম দিয়ে।[১০৩] গগৈদেৱৰ উপৰোক্ত ব্যাখ্যাই প্ৰমাণ কৰে যে স্বৰ্গদেৱ চুকাফাই ১২৫৩ খ্ৰীঃত চৰাইদেওত ৰাজধানী স্থাপন কৰাৰ আগত সেই ঠাইত চুতীয়া অথবা বৰাহীসকলৰ আৰাধ্য দেৱতাৰ কোনো মন্দিৰ থকাৰ পৱিত্ৰ ঠাই আছিল।

চৰাইদেও পাহাৰত সম্ভৱতঃ এসময়ত বহুতো মঠ-মন্দিৰ আছিল যদিও বৰ্তমান দুটা মন্দিৰৰ ভগ্নাৱশেষহে দেখা যায়। তাৰে এটা দেওশাল মন্দিৰ আৰু আনটো লাংকুৰি দ'ল।[১০৪] দেওশাল মন্দিৰটো আঠোটা শিলৰ খুটাৰ ওপৰত পকীকৈ নিৰ্মাণ কৰা হৈছিল। অতীততে আঠকোণীয়া ডাঙৰ মন্দিৰ আছিল। মন্দিৰলৈ উঠি যাবৰ কাৰণে পকী খট্-

---

১০২ **পৱিত্ৰ অসম**, পৃঃ ৩৬

১০৩ ঐ

১০৪ ঐ

খট্টীও আছিল। বৰ্তমান ইয়াত পাঁচটা খুটা আৰু কিছুমান শিল-ইটাৰ ভগ্ন স্তূপহে দেখা যায়। দেৱতাৰ উদ্দেশ্যে উচৰ্গা কৰা জীৱ বলি দিয়া শালখন আছিল বুলিয়েই ইয়াৰ নাম দেওশাল মন্দিৰ হ'ল। দেওশালৰ দক্ষিণে লাংকুৰি দ'ল অৱস্থিত। টাই ভাষাত লাংকুৰি মানে শিৱ। এই দ'লটো স্বৰ্গদেৱ গদাধৰ সিংহই পুনৰ নিৰ্মাণ কৰাইছিল বুলি জনা যায়। চৰাইদেও পাহাৰৰ পশ্চিম দিশত এখন শিলৰ চালপিড়া আৰ্হিৰ দেৱতা স্থাপন কৰা পাত আছে। এই মন্দিৰৰ নাম আছিল বান্-টুং দেৱালয়। এই দেৱালয়খনো সম্ভৱতঃ পুৰণি কোনো দেৱতাৰ মন্দিৰ আছিল।

প্ৰাক্ আহোম যুগতে চুতীয়া কিম্বা বৰাহী-চুতীয়াসকলৰদ্বাৰা প্ৰতিষ্ঠিত দেও পাহাৰৰ মন্দিৰত চুকাফা প্ৰমুখ্যে চৰাইদেওত নগৰ কৰি থকা আহোম স্বৰ্গদেৱসকলে পুৰণি ধৰ্মীয় ঐতিহ্য বৰ্তাই ৰাখিছিল। চুকাফাই বৰাহী ৰজা থামিথুমাৰ পৰামৰ্শতেই লাংকুৰি দেৱৰ পৰ্বতৰ কাষৰ সৰু পৰ্বতটিত নগৰ কৰিছিল আৰু দেও-সকলক পূজা-সেৱা কৰিছিল।[১০৫] চুকাফাই ৰাজধানী স্থাপন কৰোঁতে এক উৎসৱ পাতি ইষ্ট দেৱতাসকলৰ সন্তুষ্টিৰ বাবে এটা পখৰা (বগা) ঘোঁৰা বলি দিছিল।[১০৬] আহোম ৰাজ্য ধ্বংস হোৱাৰ পৰৱৰ্তী সময়ত চৰাইদেওৰ দেওশাল প্ৰমুখ্যে অন্যান্য থান/ মন্দিৰসমূহৰো অস্তিত্ব নোহোৱা হ'ল। বৰ্তমান এইবোৰৰ ভগ্নাংৱশেষেহে ইয়াত পূৰ্বতে মন্দিৰ থকাৰ প্ৰমাণ দিয়ে।

---

[১০৫] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ৯, ১০১

[১০৬] **অসম বুৰঞ্জী**, সুকুমাৰ মহন্তৰ ঘৰত পোৱা, পৃঃ ৬

# অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতীয়াসকলৰ অৱদান

অসমীয়া জাতি বোলোতে অসম নামৰ ভৌগোলিক অঞ্চল এটাৰ কথা আমাৰ মনলৈ আহে। অতি প্ৰাচীন কালৰ বুৰঞ্জী সাহিত্যত অসম নামৰ কোনো উল্লেখ নাই। **মহাভাৰত**ৰ যুগত ভাৰতৰ উত্তৰ-পূব খণ্ডত প্ৰাগ্‌জ্যোতিষপুৰ আৰু পৰৱৰ্তী কালত কামৰূপ নামেৰে পৰিচিত আছিল। কালিদাসৰ **ৰঘুবংশ**ত প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপ এই দুয়োটা নামৰ উল্লেখ থকাটো তাৎপৰ্যপূৰ্ণ। প্ৰাগ্‌জ্যোতিষপুৰৰ ভৌগলিক বিস্তৃতি সঠিককৈ কোৱা টান। **কালিকা পুৰাণ**ত কামৰূপ ৰাজ্য দীঘলে ১০০ যোজন আৰু বহলে ৩০ যোজন বুলি উল্লেখ কৰা হৈছে। কামৰূপৰ পশ্চিম সীমাত কৰতোৱা নদী আৰু পূবত দিক্ৰং নদী আছিল। **যোগিনীতন্ত্ৰ** আৰু **হৰগৌৰী সম্বাদ** নামৰ পুথিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সুবিস্তৃত এলেকাক ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ হিচাপে উল্লেখিত হৈছে। এতিয়া আমাৰ এই দেশখনৰ নাম কেতিয়াৰ পৰা অসম হিচাপে পৰিচিত হ'ল? এই প্ৰশ্নৰ উত্তৰত কোৱা হয় যে খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত অসম নামৰ উৎপত্তি হ'ল। পঞ্চদশ শতিকাত মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱ হয়। মহাপুৰুষগৰাকীৰ লিখনিত অসম শব্দৰ ব্যৱহাৰ মনকৰিবলগীয়া। এইখিনিতে যোড়শ আৰু সোতৰশ শতিকাত ৰচিত পুথিত অচম, আচাম, অসম, আসাম, আসম, অহম, আহম, আহোম শব্দৰ ব্যৱহাৰ দেখা যায়। এই শব্দবোৰে দেশ আৰু জাতি দুয়োটাকে বুজাইছিল।[১] সেই ধৰণে চৰিত পুথিতো অচম, আসম আৰু আসাম শব্দৰ ব্যৱহাৰ কৰা হৈছে। পণ্ডিতসকলৰ মতে টাই শ্যান জাতীয় মানুহখিনিক কেন্দ্ৰ কৰি সময়ত অসম-আহোম শব্দৰ উৎপত্তি হ'ল। চাও চ্যুকাফাৰ বন্ধুত্বপূৰ্ণ আচৰণত মুগ্ধ হৈ বৰাহী মৰাণে ক'বলৈ ধৰিছিল - 'আনৰ বঙ্গহ নহয়, দেও-মানুহ বুলি যি কয় হয়, এয়েহে আহম। আক আনে সম হওতা নাই। এইৰূপে মানি অহা যোৱাকৈ থাকে।"[২] চ্যুকাফাৰ লগত অহা মানুহখিনিক ন-সম বুলি গন্য কৰিলে। কিছুসংখ্যক ইতিহাসবিদে অ-সম শব্দৰ পৰাই সময়ত অহম আৰু আহোম নামৰ উৎপত্তি হ'ল বুলি ক'ব খোজে। এইখিনিতে বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকুমাৰৰ লিখনিৰ পৰা কিছু অংশ উদ্ধৃতি দিয়া হ'ল - "বহুতে প্ৰশ্ন কৰে 'অসম' শব্দৰ পৰা "আহোম"

---

[১] ড° লীলা গগৈ, **অসম, অসমীয়া ঃ অসমৰ সংস্কৃতি**, ডিব্ৰুগড়, ২০০৬ চন, পৃঃ ১।

[২] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০১।

কেনেকৈ হ'ল? 'স'ৰ ঠাইত "হ" কিয় প্ৰয়োগ হ'ল? আহোমসকল টাই জাতিৰ মানুহ। তেওঁলোকৰ লিখিত ভাষা আজিও চলি আছে। তেওঁলোকৰ টাই ভাষাত "শ, স, ষ" নাই "হ" মাত্ৰ আছে। সেই কাৰণে "স" উচ্চাৰণ কৰিব নোৱাৰি "হ"হে উচ্চাৰণ কৰে। এইবিলাক কাৰণত কেৱল টাইসকলৰ মুখতহে যে "অসম" "অহম" হৈ উচ্চাৰণ হ'ল এনে নহয়, অন্য বহু জাতিৰ মুখতো "অসম" "অহম" হ'ল। টাইসকলে গৌৰৱৰ চিন স্বৰূপে "অসম" শব্দ নিজেও ব্যৱহাৰ কৰিবলৈ গৈ "অহম" হ'ল আৰু কালক্ৰমে "অহম" শব্দ "আহোম" শব্দত পৰিণত হ'ল। সেই কাৰণে জাতিটো "আহোম" নামে আৰু তেওঁলোকে শাসন কৰা দেশখন "অসম" নামে জনাজাত হ'ল।"[৩]

ব্ৰিটিছৰ ৰাজত্ব আৰম্ভ হোৱাৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা, বৰ্তমানৰ মেঘালয়, মিজোৰাম, নগালেণ্ডক সামৰি অসম বা আসাম ৰাজ্যৰ সৃষ্টি হৈছিল। সেই বৰ আই অসমৰ ভেটি ছশবছৰীয়া আহোম ৰাজত্বৰ কালতে স্থাপিত হৈছিল। এতিয়া প্ৰশ্ন হ'ল অসমীয়া জাতি বা অসমীয়া মানুহ বুলিলে কি বুজো? অতি চমুকৈ ক'বলৈ গ'লে উমৈহতীয়া ভাষা, সাহিত্য, সংস্কৃতি, ৰীতি-নীতি আদিৰ জৰিয়তে একত্ৰিত হোৱা কিছুমান লোকৰ সমষ্টিয়েই হ'ল জাতি। এই সংজ্ঞা ৰাজনীতিতত্ত্ববিদ অধ্যাপক বাৰ্জেছে দিছে। অৱশ্যে সমাজশাস্ত্ৰত জাতিৰ সংজ্ঞা সুকীয়া। মানুহৰ সমূহীয়া উদ্দেশ্য সাধনৰ কাৰণে যি সামূহিক সচেতনতা থাকে, সেই সচেতনতাৰ ফলত সৃষ্টি হোৱা ঐক্যকে জাতি বুলিব পাৰি। তেজ মঙহৰ সম্পৰ্কেৰে যি বংশগত সমষ্টিৰ সৃষ্টি হয় তাকে সমাজ শাস্ত্ৰৰ দিশৰ পৰা জাতি বোলা হয়। আনহাতেদি কোনো নিৰ্দিষ্ট ভূখণ্ডত একে উদ্দেশ্যেৰে বসবাস কৰা কিছুমান লোকৰ সমষ্টিকহে আধুনিক যুগত জাতি বোলা হয়। জাতিৰ এই ধাৰণাটোৰ লগত ৰাজনৈতিকভাৱে সংগঠিত হোৱাৰ কথাষাৰ সোমাই আছে। কুলগত ঐক্য, ভাষাগত ঐক্য, ধৰ্মীয় ঐক্য, ভৌগলিক ঐক্য আৰু মানসিক অনুভূতিয়েই জাতি গঠনৰ উপাদান। জাতিৰ বেলিকা সাৰ্বভৌমত্ব কথাষাৰ নাথাকিবও পাৰে। কিন্তু কোনো জাতীয় চৰকাৰৰ যদি সাৰ্বভৌমত্ব ক্ষমতা থাকে তেনেহ'লে ই ৰাষ্ট্ৰত পৰিণত হয়। সেই অৰ্থত অসমীয়া জাতি কথাষাৰ অশুদ্ধ নহয়।

অসমীয়া জাতি বোলা কথাষাৰৰ কোনো নিৰ্দিষ্ট মূৰ্ত্ত ৰূপ দাঙি ধৰা সম্ভৱ নহয়। অসমীয়াৰ মাজত বিভিন্ন নৃগোষ্ঠীৰ সমাবেশ ঘটিছে। আমি সচৰাচৰ অসমীয়া মানুহ বুলিহে পৰিচয় দিও। এইখিনিতে ড° নগেন শইকীয়াৰ "অসমীয়া মানুহৰ ইতিহাস" নামৰ এলানি লিখনিৰ মাজৰ পৰা এটি অংশৰ উদ্ধৃতি দিলে প্ৰাসঙ্গিক হ'ব - "অসমীয়া মানুহ বুলিলে আমি জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে অসমীয়া ভাষী মানুহখিনিক বুজো; দ্বিতীয়তে বুজো, ঘৰৰ ভিতৰত এটা মাধ্যমেৰে ভাব বিনিময় কৰিলেও যিসকলৰ

[৩] সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, ১৯৮০ চন, পৃঃ ৬৮।



ভাব-চিন্তা, কল্পনা-অনুভূতি, অভিজ্ঞতা প্ৰকাশৰ বাবে আৰু ৰাজহুৱা জীৱনত একমাত্ৰ মাধ্যম অসমীয়া, তেওঁবিলাকক। তৃতীয়তে বুজো, ভাষা, সাহিত্য, সংস্কৃতি, শিল্প এইবোৰ একো নুবুজিলেও নিজকে সঁচাকৈ "অসমীয়া" বুলি ভাবিবলৈ যত্ন কৰে, আৰু ভুলে-শুদ্ধই তাৰ বাবে কামো কৰিব খোজে, তেওঁবিলাক মানসিকভাৱে 'অসমীয়া'। এই অসমীয়া মানুহটোৱে কিন্তু কোনোবা এটা চনৰ এটা তাৰিখত জন্ম লাভ কৰা নাই। ইতিহাসৰ অনেক স্তৰ পাৰ হৈ আহিহে 'অসমীয়া' হৈছেহি।"[৪] 'অসমীয়া মানুহ' আৰু 'অসমীয়া জাতি' - এই দুয়োটা কথাৰ সৰ্বজন গৃহীত সংজ্ঞা এটা পণ্ডিতসকলে দিব পৰা নাই। ড° নগেন শইকীয়াই "অসমীয়া মানুহ" এই ধাৰণাটো দিবলৈ গৈ এক উমৈহতীয়া ভাষাৰ কথা কৈছে। ড° শইকীয়াৰ আগতে ড° বিৰিঞ্চি কুমাৰ বৰুৱা ডাঙৰীয়াইও অসমীয়া ভাষাৰ ভেটিতে "অসমীয়া জাতি" ধাৰণাটো দি গৈছে। অৰ্থাৎ অসমীয়া ভাষীসকলহে অসমীয়া জাতি। কিন্তু এনে এটি ধাৰণাই বৰ্তমান বহু বিতৰ্কৰ সৃষ্টি কৰিছে। দেখা গৈছে যে ভাষা কথাষাৰ অতি সংবেদনশীল। এটা কথা ঠিক যে যি কোনো এটা ভাষা সম্পূৰ্ণ নিজৰ বৰীয়া হিচাপে গঢ়ি উঠিব নোৱাৰে। বিভিন্ন নৃগোষ্ঠীৰ অৱদানৰ মাজেদি একোটা ভাষা চহকী হৈ উঠে। এক ভাষাৰ ব্যৱহাৰে এক জাতীয়ত্ব ভাব গঢ়ি উঠাত সহায় কৰে। সাম্প্ৰতিক কালত অসমত বিভিন্ন নৃগোষ্ঠীৰ মানুহৰ নিজস্ব ভাষা সচেতনতাই সমস্যাৰ সৃষ্টি নকৰাকৈ থকা নাই। এই পৰিস্থিতিৰ এক ঐতিহাসিক বিশ্লেষণ কৰিব পৰা যায়।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে সাম্প্ৰতিক কালত যথেষ্ট চিন্তা-চৰ্চ্চা হৈছে। ঐতিহাসিক ভাবে বিশ্লেষণ কৰি চাবলৈ গলে বহু কথা আহি পৰিব। এই সম্পৰ্কে ড° পৰমানন্দ ৰাজবংশীয়ে কৈছে - "অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে বিশদভাবে জানিবলৈ হ'লে প্ৰতিটো জনগোষ্ঠীৰ নৃ-তাত্বিক বিশ্লেষণৰ খুবেই প্ৰয়োজন। আকৌ ইয়াৰ বাবে বিজ্ঞানসন্মত আবয়িক আৰু আনুসংগিক তথ্য-পাতিৰ অতি আৱশ্যক। ইয়াৰ লগে লগে একোটা জনগোষ্ঠীৰ সাংস্কৃতিক আৰু সামাজিক পটভূমিৰ তথ্য তথা বিবৰণ আদিও আৱশ্যক। এই জাতি গঠন প্ৰক্ৰিয়াৰ বৈজ্ঞানিক চিন্তা-চৰ্চ্চাৰ বিষয়টো যি ধৰণে পাশ্চাত্য দেশত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে একেদৰে আমাৰ দেশ অথবা অসমত হোৱা নাই।"[৫] অসমীয়াৰ জাতিসত্বাৰ সৃষ্টি আৰু ক্ৰমবিকাশৰ বহু কথা এতিয়াও বিজ্ঞানসন্মতভাবে চৰ্চিত হোৱা নাই। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সংঘটিত এক সংমিশ্ৰণৰ ফলত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অগ্ৰগতি হৈছে।

জাতি গঠন প্ৰক্ৰিয়া বিভাজন আৰু সংযোজন এই দুই প্ৰকাৰে আগবাঢ়ে। একোটা জনগোষ্ঠী সময়ত দুটা বা ততোধিক গোটত বিভক্ত হৈ পৰাটোকে বিভাজন বোলা হয়।

[৪] 'অসমীয়া মানুহৰ ইতিহাস', ড° নগেন শইকীয়া; **গৰীয়সী**, দ্বাদশ বছৰ, দ্বাদশ সংখ্যা।

[৫] 'অসমীয়া জাতি আৰু সংস্কৃতি', প্ৰথম সংস্কৰণ, ২২ অক্টোবৰ, ২০০৩, সম্পাদকীয় প্ৰসঙ্গ অসমীয়া জাতি, ড° পৰমানন্দ ৰাজবংশী।

তেনেধৰণে দুটা বা ততোধিক জনগোষ্ঠীৰ মাজত হোৱা সংমিশ্ৰণ প্ৰক্ৰিয়াক সংযোজন বুলি কোৱা হয়। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া এই সংযোজন পদ্ধতিৰে হৈছে। নৃতত্ত্ববিদসকলে ইতিমধ্যে এই বিষয়ে বহু তথ্য উদ্‌ঘাটন কৰিছে। বিভিন্ন জনগোট অসমীয়া মূলসুঁতিত মিলিত হৈ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক সবল কৰি তুলিছে। ই এক মনোৰম সংমিশ্ৰণ। প্ৰখ্যাত নৃতত্ত্ববিদ ড° ভূবনমোহন দাসৰ মতে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত তিনিটা মুখ্য নৃগোষ্ঠীৰ লোকে অংশ গ্ৰহণ কৰিছে। সেই কেইটা হ'ল অষ্ট্ৰেলীয়, ককেচীয় আৰু মঙ্গোলীয়। তেখেতৰ মতে অসমীয়া জাতিৰ মূলসুঁতি ককেচীয় প্ৰজাতিৰ লোকৰ দ্বাৰা গঠিত।[৬] কোন সময়ত কোন জনগোষ্ঠীৰ লোক ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ লৈছিল সেই বিষয়ে চূড়ান্ত সিদ্ধান্ত এটা দাঙি ধৰা সম্ভৱ নহয়। কিন্তু এটা কথা ন-দি ক'ব পাৰি যে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া এক সংমিশ্ৰণ পদ্ধতিৰ ফলশ্ৰুতি আৰু ইয়াত মঙ্গোলীয়সকলৰ অৰিহণাই গধূৰ। সেয়েহে, নৃতত্ত্ববিদ ড° ভূবনমোহন দাসে অসমীয়া জাতিক মহাবাহু ব্ৰহ্মপুত্ৰৰ লগত তুলনা কৰিছে। অৰ্থাৎ নানা শাখা-প্ৰশাখাৰ জনগোষ্ঠীয়ে অসমীয়া মূলসুঁতিক বিশাল কৰি তুলিছে। অসমীয়া জাতিৰ মাজত বিভিন্ন প্ৰজাতীয় লক্ষণৰ সংমিশ্ৰণ মন কৰিবলগীয়া। নৃ-তাত্বিকসকলৰ মতে অষ্ট্ৰেলীয় প্ৰজাতিৰ লোকে অসমীয়া জাতিৰ জৈৱিক আৰু সাংস্কৃতিক বুনিয়াদ গঢ়াত যথেষ্ট অৰিহনা যোগায়।

ইতিমধ্যে কৈ অহা হৈছে যে ইতিহাসৰ কোনোবা এটা সময়ত ব্ৰহ্মপুত্ৰ উপত্যকা 'অসম' নামেৰে পৰিচিত হৈ পৰিল। 'অসম' নামটোৰ উৎপত্তিৰ প্ৰশ্ন লৈ মতানৈক্য থাকিব পাৰে। সি যি কি নহওক 'অসম' নামৰ পৰাই 'অসমীয়া' নামৰ উৎপত্তি। টাই ভাষী আহোমসকলৰ ৰাজত্ব সুপ্ৰতিষ্ঠিত হোৱাৰ পিছৰ পৰাই অসম ৰাজ্য আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়া ঠন ধৰি উঠে আৰু খৰকতীয়া হৈ পৰে। চাও চুকাফাই "সাত ৰাজ মাৰি এক ৰাজ পাতি" এখন বৰ অসম গঢ়াৰ সিদ্ধান্ত লৈছিল। আহোমসকলৰ প্ৰথম আগমনৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি খণ্ডত মৰাণ, বৰাহী, কছাৰী, চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। প্ৰত্যেকৰে একোখন ৰাজ্য আছিল। সেই সকলোবোৰ ৰাজ্য একগোট কৰি এখন ৰাজ্য প্ৰতিষ্ঠাৰ আদৰ্শ চুকাফাই গ্ৰহণ কৰিছিল। আহোম ৰাজ্যৰ পৰিসৰ বৃদ্ধি আৰু প্ৰশাসনীয় গাঁঠনি কটকটীয়া হৈ অহাৰ লগে লগে এক অসমীয়া ভাষা-সংস্কৃতি গঢ় লৈ উঠে। ড° লীলা গগৈৰ মতে - "'অসম' আৰু 'অসমীয়া' শব্দৰ ব্যুৎপত্তিগত অৰ্থ যিয়েই নহওক লাগিলে, এই শব্দ দুটা, দেশখন আৰু জাতিটো আহোমসকলৰে প্ৰচেষ্টাৰ পৰিণতি'।[৭]

উজনি অসমত আহোমসকল অহাৰ সময়ত আন কেইবাটাও জনগোষ্ঠীৰ

[৬] ড° ভূবন মোহন দাস, 'অসমীয়া জাতি গঠন প্ৰক্ৰিয়া ঃ এক নৃতাত্বিক বিশ্লেষণ', **অসমীয়া জাতি আৰু সংস্কৃতি**, প্ৰথম সংস্কৰণ, ২০০৩।

[৭] ড° লীলা গগৈ, **টাই সংস্কৃতিৰ ৰূপৰেখা**, যোৰহাট, ১৯৯৪, পৃঃ ২৫।



প্ৰতিপত্তি আছিল বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। তাৰ ভিতৰত চুতীয়াসকল বিশেষভাৱে উল্লেখযোগ্য। অসমৰ প্ৰাচীনতম জনগোষ্ঠী কোনটো সেই কথাৰ শেষ সিদ্ধান্ত এতিয়াও হোৱা নাই। আনহাতে তেনে প্ৰাচীনতম জনগোষ্ঠীৰ ভিতৰত চুতীয়াসকল অন্যতম এই কথা সকলোৱে স্বীকাৰ কৰে। চুতীয়াসকল মঙ্গোলীয় গোষ্ঠীৰ লোক। এসময়ত চুতীয়াসকলে উজনি অসমৰ এক বিশাল ভূখণ্ডত ৰাজত্ব কৰিছিল। ইতিহাসৰ তথ্যমতে চুতীয়াসকলৰ ৰাজনৈতিক প্ৰভুত্ব পশ্চিমে শোণিতপুৰ জিলাৰ বিশ্বনাথ অঞ্চল, পূবে ব্ৰহ্মকুণ্ড, উত্তৰে অৰুণাচলৰ চিয়াং জিলাৰ পাহাৰ আৰু দক্ষিণে বুঢ়ী দিহিং নদী আছিল।

চুতীয়াসকলৰ কলা, কৃষ্টি, সংস্কৃতি উন্নত মানৰ আছিল। অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ অধ্যয়ন কৰিবলৈ হ'লে চুতীয়া সংস্কৃতিৰ সম্যক ধাৰণা বিচাৰ কৰিব লাগিব। ১৫২৩/২৪ খ্ৰীঃত স্বৰ্গদেৱ চুহুংমুঙৰ সেনানীৰ লগত ৰণ কৰি চুতীয়া ৰাজ্যৰ শেষ ৰজা নীতিপাল সমুলঞ্চে পৰাস্ত হয়। চুতীয়াসকলৰ সুকীয়া ৰাজনৈতিক প্ৰভুত্ব লোপ পালে। কিন্তু 'চুতীয়া সভ্যতা-সংস্কৃতি চিৰঞ্জিৱী হৈয়ে থাকিল। চুতীয়াৰ সৌন্দৰ্যবোধ, শিল্পবিদ্যা, ধৰ্মানুশীলতা আহোম ৰাজ্যত জাতি-ধৰ্ম নিৰ্বিশেষে সকলোতে সোমাই পৰিল'।[৮]

সুদীৰ্ঘ কাল ধৰি চুতীয়াসকল এক নিৰ্দিষ্ট ভূ-খণ্ডত ৰাজত্ব কৰি গ'ল। গতিকে স্বাভাৱিকতে তেওঁলোকৰ প্ৰশাসনৰ কিছুমান ইতিবাচক দিশ আছিল। কিন্তু এই বিষয়ে বিতং বিৱৰণ পাবলৈ নাই। যিখিনি নিৰ্ভৰশীল তথ্য পোৱা গৈছে সেই সম্পৰ্কে এই গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত আলোচনা কৰা হৈছে। চুতীয়া ৰাজ্য মিচিমি, নিচি (ডফলা) আৰু আদি (আবৰ) পাহাৰৰ পাদদেশত অৱস্থিত আছিল। গতিকে এই পাহৰীয়া অঞ্চলৰ বিভিন্ন জাতিৰ লগত চুতীয়াসকলৰ এটা বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। এই সম্পৰ্কত **শদিয়া বুৰঞ্জী** প্ৰণেতা ভৱান্দ বুঢ়াগোঁহায়ে লেখিছে - 'চুতীয়াসকলৰ ৰাজধানীৰ নিচেই ওচৰতে বেবেজীয়া খেলৰ ইদুসকলে বাস কৰিছিল। অতীতত এই বেবেজীয়াসকলে চুটিয়াসকলৰ লগত একেলগে চুটিয়া ৰাজ্যক সুৰক্ষা কৰি আছিল। বৰ্ত্তমান এই সকল জনজাতিৰ লোক সুকীয়াকৈ থাকিবলৈ লৈছে যদিও অতীত চুটিয়া ৰাজ্যৰ প্ৰধান জনগোষ্ঠী বুলি পৰিচয় দিব পাৰিছিল। গতিকে পৰাক্ৰমী চুটিয়া ৰজাসকলে পুৰণি কালত তেওঁলোকৰ আশে-পাশে থকা সকলো পৰ্বতীয়া জাতিক অসমীয়া জাতিৰ বুকুৰ মাজত সোমুৱাই একেডাল এনাজৰীৰে পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি সুদৃঢ় কৰাত সহায়ক হৈছিল। তেওঁলোকৰ প্ৰচেষ্টাতে বহুতো পৰ্বতীয়া জনজাতিৰ লোকে বৰঅসমীয়া জাতি গঠনত আত্মনিয়োগ কৰিব পাৰিছিল।'[৯]

সামৰিক দিশত চুতীয়াসকল শক্তিশালী আছিল। তেওঁলোকৰ নৌ-শক্তি উল্লেখযোগ্য। তেওঁলোকে বিভিন্ন প্ৰকাৰৰ নাও সাজি নিজৰ নৌ-শক্তি বলিষ্ঠ কৰি ল'বলৈ

[৮] বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি', **কুণ্ডিল**, পঞ্চম সংখ্যা, ২০০৫, পৃঃ ১০-১১।

[৯] ভৱানন্দ বুঢ়াগোঁহই, **শদিয়াৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৮৩, পৃঃ ১৭।

সমৰ্থ হৈছিল। নৌ যুদ্ধত দেখুৱাব পৰা পাৰ্গতালিৰ কাৰণে আহোম প্ৰশাসনত নাওবৈচা আৰু নাওশলীয়া খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল। মোগলসকলক আহোমসকলে নৌ যুদ্ধত পৰাজিত কৰিছিল। বুৰঞ্জীবিখ্যাত শৰাইঘাটৰ যুদ্ধও আছিল এখন নৌ যুদ্ধ। এইখন যুদ্ধত আহোম সেনাই মোগলক বিষমৰূপে ঘটুৱাই মানাহ নদী আহোম ৰাজ্যৰ পশ্চিম সীমা হিচাপে নিৰ্দ্ধাৰিত কৰিছিল। এইখন যুদ্ধ অসমীয়া জাতিৰ অস্তিত্ব সংগ্ৰামৰ এখন যুদ্ধ। এই যুদ্ধত চুতীয়া নৌ সেনাই নিশ্চয় প্ৰধান ভূমিকা লৈছিল। চুতীয়াসকলৰ মাজত বৰটোপৰ প্ৰচলন আছিল। চুতীয়াসকলৰ লগত লগা ৰণত আহোমসকলে যথেষ্ট সংখ্যক হিলৈ লাভ কৰিছিল। চুতীয়াসকলৰ জৰিয়তে অসমত প্ৰথম হিলৈ প্ৰচলন হয়। এই কাৰণেই হয়তো হিলৈদাৰী খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল। চুতীয়াসকলৰ মাজত হিলৈদাৰী উপাধি থকা লোক এতিয়াও যথেষ্ট সংখ্যক আছে। অৱশ্যে এডৱাৰ্ড গেইটৰ মতে, ১৫৩২ খ্ৰীঃত তুৰ্বকৰ লগত হোৱা ৰণৰ পিছৰ পৰাহে অসমত হিলৈৰ প্ৰচলন হয়।[১০] আৰু হিলৈ বনোৱা কামত আহোম স্বৰ্গদেৱসকলে মুছলমান লোকক নিযুক্তি দিছিল কিন্তু বুৰঞ্জীয়ে কয় যে তুৰ্বকৰ আক্ৰমণৰ কেইবা বছৰৰ আগতে আহোমসকলে চুতীয়াসকলৰ পৰা হিলৈৰ ব্যৱহাৰ লৈছিল।[১১] অসমৰ হিলৈৰ যে নিজস্ব বৈশিষ্ট্য আছিল এই কথা মিৰজুমলাৰ অসম আক্ৰমণৰ (১৬৬২-৬৫) ঐতিহাসিক চিহাবুদ্দিন তালিচৰ টোকাত পোৱা যায় আৰু এই বৈশিষ্ট্য আছিল ঘাইকৈ চুতীয়াসকলে বনোৱা বৰটোপবোৰত।

মণিৰাম দেৱানে লিখি থৈ গৈছে যে, মিঠা হোলাং বোলা লেখত ল'ৰ লগা হিলৈটো চুতীয়াসকলৰ আছিল।[১২] এই সম্পৰ্কত বেণুধৰ শৰ্মাৰ পৰা জানিব পাৰি যে - 'টোপটোৰ ওপৰখন পিতলৰ পানী চৰোৱা, তাতে মিনা কৰাই সোণ-বাখৰ খাজি দিয়া আছিল। চুতীয়াৰ পৰা অনা টোপ, খাৰ-বাৰুদ দেখিয়েই সম্ভৱতঃ মিৰজুম্লাৰ লগত অহা বেপিষ্ট টেৱানিয়ে অসমতে পোন প্ৰথম খাৰ কলাই তৈয়াৰ হৈছিল বুলি কৈছিল।[১৩]

চুতীয়াসকল সুদক্ষ কাঁড়ী আছিল। তেওঁলোকে সজা বিশেষ ধেনুক চুতীয়া ধেনু আৰু বৰধেনু বোলা হৈছিল। চুতীয়াক পৰাভূত কৰাৰ পিছত আহোমসকলৰ মাজত এই ধেনু প্ৰচলন হয়। এই কথা **সাতসৰী অসম বুৰঞ্জী**ত এনেদৰে লিপিবদ্ধ হৈছে - 'আমাৰ কাড়ফাই ধনুহে আছিল। চুতীয়াত চুতীয়া ধনু পালে, পিঠিয়ে জোৰ দিয়া চাৰি হাত দীঘল, তাকে বৰধনু বোলে'।[১৪] ধেনুবিদ্যাত পাৰ্গতালিৰ কাৰণে আহোম যুগৰ ধেনু চোঁচা খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল আৰু চুতীয়া কাঁড়ীসকলক লৈ 'চুতীয়া

[১০] E.A. Gait, **A History of Assam**, Reprint of the second edition, 1981, p. 94-95.
[১১] 'মণিৰাম দেৱানৰ এত্‌লা, বেণুধৰ শৰ্মা, **মণিৰাম দেৱান**, পৃঃ ২৮৯।
[১২] ঐ।
[১৩] বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি, **কুণ্ডিল**, ২০০৫, পৃঃ ১১।
[১৪] সম্পাদিত সূৰ্য্যকুমাৰ ভূঞা, **সাতসৰী অসম বুৰঞ্জী**, গুৱাহাটী, ১৯৬৪, পৃঃ ১৭।



কাঁড়ী' নামৰ এটা সুকীয়া খেল আহোম ৰাজত্বত গঠন কৰা হৈছিল। চিহাবুদ্দিন তালিচে অসমীয়া পদাতিক সৈন্যৰ যি উচ্চ প্ৰশংসা কৰিছে তাৰ বাবে চুতীয়া সৈন্যসকলৰ অনবদ্য অৱদান আছে। আহোমসকলৰ লগত যুদ্ধৰ সময়ত চুতীয়াসকলে পচলাৰ গড় মাৰিছিল বুলি **দেওধাই অসম বুৰঞ্জী**ত লিখা আছে। সেই গড় কলগছ যুটি পানীৰ ওপৰত সজা হৈছিল। মোগলৰ লগত যুদ্ধৰ সময়ত অসমীয়া সেনাই পানীৰ গড়ৰ মৰাৰ কথা উল্লেখ আছে। চুতীয়াসকলৰ পচলাৰ গড়কে অনুসৰণ কৰি পানীৰ গড় নিৰ্মাণ কৰা হৈছিল বুলি সহজে অনুমান কৰিব পাৰি।

চুতীয়া ৰাজ্যত প্ৰচুৰ পৰিমাণে সোণ উৎপাদন হৈছিল। সোৱণশিৰি, দিহিং, দিক্ৰং আদি নদীৰ বালি ধুই সোণ উৎপাদন কৰিছিল। অতি প্ৰাচীন কালৰে পৰাই চুতীয়াসকলে সোণৰ ব্যৱহাৰ কৰিছিল। চুতীয়া ৰাজ্য দখল কৰি আহোমসকলে অন্যান্য সামগ্ৰীৰ লগতে সোণেৰে গঢ়া পিক্‌দান, ভোগজৰা, হাতী, মেকুৰী, খাট্‌ আৰু সিংহাসন পাইছিল।[১৫]

অন্যান্য জনগোষ্ঠীৰ দৰে তেওঁলোকৰ নিজৰ ৰাজ্যত চুতীয়াসকলো মূলতঃ কৃষিজীৱী আছিল। নাঙলৰ ফালত লোৰ ব্যৱহাৰ কৃষিজীৱী চুতীয়াসকলে জানিছিল বুলি ভাবিবৰ থল আছে। মণিৰাম দেৱানৰ পৰা জনা যায় যে, আহোম ৰাজ্যত কমাৰ নাছিল। চুতীয়া ৰাজ্যৰ পৰাহে তিনি হাজাৰমান কমাৰ আনি চুহুংমুং দিহিঙ্গীয়া ৰজাই ৰাজ্যৰ বিভিন্ন ঠাইত পাতিছিল। এই কমাৰসকলে খেতি-বাতি আৰু দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল। সেই কাৰণেই লো-শলীয়া খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল।[১৬]

পুৰণি অসমীয়া আভিজাত্যৰ কিছুমান প্ৰতীক যেনে - কেকোঁৰা দোলা, আৰোৱান, পিকদান, ভোগজৰা, মাইহাং বা বানকাঁহী এই সকলোবোৰ আদিতে চুতীয়াসকলৰ আছিল। চুতীয়া ৰণৰ পিছত সেইবোৰ সামগ্ৰী আহোমসকলৰ হাতলৈ আহে আৰু আহোম আভিজাত্যৰ প্ৰতীক হৈ পৰে। পৰৱৰ্তী কালত সেইবোৰ অসমীয়া জাতিৰ জাতীয় সম্পদ হৈ পৰে।

চুতীয়াসকল নিপুন খনিকৰ আছিল আৰু সেইবাবেই আহোম প্ৰশাসনত খনিকৰী খেলটো ঘাইকৈ চুতীয়াসকলক লৈয়ে গঠন কৰা হৈছিল। খনিকৰী বিদ্যাত চুতীয়াসকল পাৰ্গত বুলি প্ৰশংসা কৰি বেণুধৰ শৰ্মাই কৈছে - 'চুতীয়া জাতি উলা-মূলা জাতি নহয়, ৰূপেৰে বন্ধোৱা দাঁতৰ ইন্দ্ৰ ঐৰাৱত মূৰ্ত্তি শিলত কাটিব পাৰিছিল চুতীয়াই, মন্দিৰৰ বাঁটচ'ৰাত ফুলজাৰি কাটিছিল চুতীয়াই, ছতিয়া শিলত ম'ৰা চৰাই, গৰুড়ই সাপ ধৰা,

[১৫] হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ৪৯।
[১৬] 'মণিৰাম দেৱানৰ এত্‌লা, বেণুধৰ শৰ্মা, **মণিৰাম দেৱান**, পৃঃ ২৮৭, ২৮৮।

বিষ্ণু মূৰ্ত্তি, শিৱ-পাৰ্বতীৰ মূৰ্ত্তি চচকৈ কাটি দেখুৱাইছিল চুতীয়াবিলাকেই।[১৭] এই প্ৰসঙ্গত ভৱানন্দ বুঢ়াগোঁহইৰ মন্তব্য ও দ্ৰষ্টব্যঃ তেওঁ লিখিছে - 'চুতীয়াসকলে সামৰিক দিশত পটু থকাৰ দৰে কাৰিকৰী দিশটো নিপুণ থকাৰ উল্লেখ আহোম বুৰঞ্জীত আছে। আহোমসকলৰ সৰহভাগ কাৰিকৰী লোক চুতীয়া আছিল। কৰ্মক্ষেত্ৰত তেওঁলোক বৰ কাৰ্য তৎপৰ বুলি গম পোৱা গৈছিল। তেওঁলোকৰ কলা, কৃষ্টি-সংস্কৃতি আৰু ৰণ কৌশল সুকীয়া হোৱাত অসমীয়া জাতি গঠনত সহায়ক হৈছিল। তেওঁলোকৰ সংস্কৃতি আৰু পৰম্পৰাগত একতাৰ বান্ধোনে অসমীয়া জাতিক মহাপৰাক্ৰমী কৰাত ইন্ধন যোগাইছিল।[১৮]

অসমীয়া সমাজৰ বহুতো আচাৰ-অনুষ্ঠান, নীতি-নিয়ম আৰু ধৰ্ম বিশ্বাস চুতীয়াসকলৰ পৰাই আহিছে বুলি ক'ব পাৰি। চুতীয়াসকল আদিতে শাক্ত ধৰ্মৰ লোক আছিল। সদিয়াৰ কেঁচাইখাঁতী (তাম্ৰেশ্বৰী) মন্দিৰত তেওঁলোকে নৰ বলিৰে গোঁসানী পূজা কৰিছিল। এই তাম্ৰেশ্বৰী মন্দিৰ নামনি অসমৰ কামাখ্যাৰ দৰে এখন অতি বিখ্যাত শাক্ত পীঠ স্থল আছিল। এই মন্দিৰলৈ অসমৰ বিভিন্ন ঠাইৰ ওপৰিও চীন, তিব্বত, ব্ৰহ্মদেশ আদিৰ পৰা তীৰ্থ যাত্ৰী আহিছিল। দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিসকলেও এই মন্দিৰ দৰ্শন কৰিছিল। এই পীঠ খনৰ জৰিয়তে অসমৰ ধৰ্ম-সংস্কৃতিৰ খ্যাতি অন্য ঠাইতো বিয়পি পৰিছিল। গতিকে, চুতীয়াসকলৰ ধৰ্ম বিশ্বাসৰ অধ্যয়ন বাদ দি অসমীয়া মানুহৰ ধৰ্মৰ ইতিহাস জানিব নোৱাৰি। চুতীয়া ৰাজত্ব কালত যথেষ্ট সংখ্যক মন্দিৰ নিৰ্মাণ কৰা হৈছিল। সেইবিলাকৰ ধ্বংসাৱশেষৰ পৰা তেওঁলোকৰ স্থাপত্য-ভাস্কৰ্যৰ নিৰ্দৰ্শন উদ্ধাৰ কৰা হৈছে। সেইবোৰে প্ৰাচীন অসমীয়া সংস্কৃতিৰ পৰিচয় দাঙি ধৰে।

থকা-মেলা, খোৱা-পিন্ধা আদিৰ ক্ষেত্ৰতো চুতীয়াসকলৰ নিজস্ব বৈশিষ্ট্য আছিল। আহোম ৰজাই বৰাহীসকলৰ ৰন্ধন প্ৰণালী ভাল পাই তেওঁলোককে চাংমাই অৰ্থাৎ ৰান্ধনি নিয়োগ কৰিছিল। বৰাহী চুতীয়াৰ পৰাই আহোমসকলে দুটুপীয়া ঘৰৰ চানেকি গ্ৰহণ কৰিছিল আৰু সেই আৰ্হি পৰৱৰ্তী কালত সমগ্ৰ অসমীয়া সমাজলৈ বিয়পি পৰে। চুতীয়াসকল নৃত্য-গীত আদি সকলোতে আগবঢ়া আছিল। তেওঁলোকৰ পৰাই গগণা, টকা, ম'হৰ শিঙৰ পেঁপা, সুতুলি ইত্যাদিৰ ব্যৱহাৰ অসমীয়া সমাজলৈ আহিল বুলি অনেক পণ্ডিতে কয়।[১৯] চুতীয়াসকল যে ভাল ঢুলীয়া আছিল তাৰ প্ৰমাণ ঢোল বাদনত থকা 'চুতীয়া চেও' নামৰ চেওটোৱে দিয়ে। অসমীয়া বিভিন্ন অলংকাৰ যেনে, জোনবিৰি, দুগদুগী, গলপতা, মুঠিখাৰু, কেৰু ইত্যাদি চুতীয়াসকলৰ পৰাই অসমীয়া সমাজলৈ আহিছে।

---

[১৭] বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি', **কুণ্ডিল**, ২০০৫, পৃঃ ৮।

[১৮] **শদিয়াৰ বুৰঞ্জী**, পৃঃ ১৩-১৪।

[১৯] জীৱকান্ত গগৈ, 'চুতীয়া জাতি', **সোণাগিৰি**, সদৌ চুতীয়া জাতি সন্মিলন, অসম, অষ্টবিংশতিতম্ দ্বিবাৰ্ষিক অধিবেশনৰ স্মৃতি গ্ৰন্থ, গোগামুখ, ধেমাজি, ২০০২, পৃঃ ৮৯-৯৯।



অসমীয়া জাতি তথা সংস্কৃতি গঠনত চুতীয়াসকলৰ প্ৰভুত অবদান উপলব্ধি কৰি জীৱকান্ত গগৈয়ে এইবুলি কৈছে যে, 'ছশবছৰীয়া আহোম যুগত নানা সম্প্ৰদায়, উপসম্প্ৰদায়েৰে সংগঠিত বিৰাট অসমীয়া জাতিৰ প্ৰতি চুতীয়া অৱদানেই আটাইতকৈ বেছি। ভাষা-সাহিত্য, কৃষ্টি-কলা, উৎসৱ আদি ভালেখিনিৰ গুৰি বিচাৰিবলৈ হ'লে এই চুতীয়া জাতিৰেই অৱদান বুলি ওলাই পৰিব'।[২০] বেণুধৰ শৰ্মাই চুতীয়াসকলৰ এই অৱদানৰ স্বীকৃতি দি এনেদৰে কৈছে - 'বিহুনাম, হুচৰিগীত, বনঘোষা, বিয়ানাম, আইনাম, শীতলানাম আদি অসমীয়া নৃত্য-শিল্প ললিত কলাৰ যিমানবোৰ অঙ্গ আছে সেই এটাইবিলাকতে চুতীয়াৰ বহুমূলীয়া অৰিহণা আছেই আছে। বিয়া নামত ৰুক্মিণী-শ্ৰীকৃষ্ণৰ কথা নক'লেই নহয়, হুচৰিত টকা, পেঁপা, সুতুলি, বাঁহী নবজালেই নহয় - এইবোৰ চুতীয়াসকলৰেই বস্তু।'[২১] চুতীয়া শব্দ 'বিচু'ৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি বুলি কোৱা হয়।[২২]

ব'হাগ বিহুৰ পূজা উৎসৱেই আছিল চুতীয়াসকলৰ উল্লেখনীয় আৰু জনপ্ৰিয় উৎসৱ। এই উৎসৱ সাতদিন ধৰি পালন কৰা হৈছিল। অৱশ্যে প্ৰথম আৰু শেষৰ দিনাহে গোঁসানী থানত পূজা দিয়া হৈছিল। চুতীয়া ৰাজত্বত বিহু পূজাত তাম্ৰেশ্বৰী মন্দিৰত নৰবলি দিয়াৰ নিয়ম আছিল। আহোমসকলৰ হাতলৈ যোৱাৰ পিছতো এই নিয়ম বহু বছৰ ধৰি প্ৰচলন আছিল। আহোমৰ ৰাজত্বৰ শেষৰ ফালে নৰবলি প্ৰথা বন্ধ কৰা হয়। বিহু পূজা উৎসৱৰ নিৰ্দিষ্ট দিন আৰু সময়ত দেৱালয়বিলাকত ভূত-ভৱিষ্যৎ ক'ব পৰা দেওৰ অৰ্বিভাৱ হৈছিল। এই দেওসকলে যি প্ৰদৰ্শন কৰিছিল তাকে দেওধনি নৃত্য বোলা হয়। দেওধনি নৃত্য বিহু-পূজাৰ এটা অবিচ্ছেদ্য অঙ্গ আছিল। যিহেতু দেৱালয়বিলাকতহে বিহু পূজা অনুষ্ঠিত হৈছিল, সেই হেতু বিহু পূজা চুতীয়াৰ পুৰোহিত দেউৰীসকলে নিয়ন্ত্ৰণ কৰিছিল। দেউৰী-চুতীয়াসকলৰ বিহু পূজা উৎসৱৰ নীতি নিয়ম সেই সময়ত পৰিবেশন কৰা বিহু নাম সংস্কৰিত ৰূপত পৰৱৰ্তী কালত অসমীয়া সমাজলৈ বিয়পি পৰে। বিহু পূজা উৎসৱত গাঁৱৰ শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ-বৃদ্ধালৈকে সকলো লোক সমবেত হৈছিল।

চুতীয়াসকলৰ নিজৰ ভাষাও আছিল। এই ভাষাটো বৰ্তমান দেউৰীসকলৰ দিবঙীয়া খেলটোৰ মাজতহে জীয়াই আছে। গ্ৰিয়েৰচন্ চাহাবৰ মতে, চুতীয়া ভাষাটোৱেই উজনি অসমৰ আদিম ভাষা আছিল আৰু অসমলৈ আহোমসকল আহিবৰ সময়ত একমাত্ৰ এই ভাষাটোৱে প্ৰচলিত আছিল - The Chutiya language indeed may fairly claim to be the original language of Upper Assam.[২৩] এই সম্পৰ্কে ১৯২১ চনৰ লোক

---

[২০] ঐ, পৃঃ ৮৯।

[২১] বেণুধৰ শৰ্মা, 'চুতীয়া কৃষ্টি, **কুণ্ডিল**, পৃঃ ১১।

[২২] পৱন শইকীয়া, **দেউৰী চুতীয়া**, পৃঃ ৪৫।

[২৩] G.A. Grierson, **Linguistic Survey of India**, p. 118.

পিয়লত উল্লেখ আছে যে, 'The Chutiya language appears to be have beeen the only language in existence at the period of the advent of Ahoms to Assam.'[২৪] এণ্ডেল চাহাবেও একেটা সুৰতে কৈছে, দেউৰী-চুতীয়া ভাষাটোৱেই যতদূৰ সম্ভৱ বড়ো গোষ্ঠীৰ ভাষাৰ বিশুদ্ধ আৰু আদিম স্তৰৰ ভাষা। এইটো ভাষাই যে উজনি অসমৰ আটাইতকৈ প্ৰভাৱশালী ভাষা আছিল সেই বিষয়ে কোনো সন্দেহ নাই - 'In all likelihood the language of the Deori-Chutiyas gives us the purest and most archaic form of the Boro speech and there can be little doubt that in earlier times it was the dominant language of Eastern Assam',[২৫] ভাষাতত্ববিদসকলৰ এনেকুৱা মন্তব্যই সূচাই যে, অসমীয়া ভাষা গঠনত চুতীয়াসকলৰ বিশিষ্ট অৱদান আছে। এই বিষয়ত অধ্যয়ন কৰা ব্যক্তিসকলৰ মতে অসমীয়া ভাষাৰ কেইবাটাও সম্বন্ধসূচক শব্দ যেনে - ককাই, বাই, বৈনাই, দদাই, পেহী, মোমাই, পৈ আদি দেউৰী-চুতীয়া ভাষাৰ যথাক্ৰমে কাই, বাই, বৈনাই, দাই, পেই, মোমাই, পৈ আদি শব্দৰ পৰা আহিছে।[২৬] তেনেকৈয়ে শাল, জকাই, চিকা, কুচিয়া আদি শব্দ অপৰিৱৰ্তিত ৰূপত দেউৰী-চুতীয়া ভাষাৰ পৰা অসমীয়া ভাষাত সোমাইছে বুলি ক'ব পাৰি। বেণুধৰ শৰ্মাৰ মতে, চুতীয়াসকলে তাম্ৰেশ্বৰী গোঁসানীক 'মাদৈ' বুলি সম্বোধন ধৰিছিল। এই 'মাদৈ'ৰ অনুৰূপ অসমীয়া নাম তৰাদৈ, ৰহদৈ, ভাদৈ ইত্যাদি।[২৭]

পূজা তথা সকলো মাঙ্গলিক কামত চুতীয়াৰ পুৰোহিত দেউৰীসকলে শুদ্ধ বগা সাজ পিন্ধাৰ নিয়ম আছিল।[২৮] সেই অনুসৰি বিবাহৰ সময়তো দৰা-কইনাই শুকুলা বস্ত্ৰ পৰিধান কৰিব লাগিছিল। সম্ভৱতঃ চুতীয়াসকলৰ পৰাই এই নিয়ম অসমীয়া সমাজলৈ বিয়পি পৰিছিল।[২৯]

চুতীয়াসকলৰ 'টোটেম' বা সৃষ্টিৰ প্ৰতীক জন্তু আছিল মেকুৰী। সেইবাবে মেকুৰীক তেওঁলোকে পবিত্ৰ জন্তু জ্ঞান কৰিছিল। তেওঁলোকৰ মাজত মেকুৰী মৰা নিষেধ। মেকুৰী মাৰিলে সিপুৰীত সোণৰ মেকুৰী দিব লাগিব বুলি তেওঁলোকে বিশ্বাস কৰিছিল। আনহাতে ক'লা মেকুৰী যাত্ৰা পথেদি পাৰ হৈ যোৱাটো অমংগলৰ চিন বুলি ধৰা হৈছিল। চুতীয়াসকলে মেকুৰীক পবিত্ৰ জন্তু বুলি ভবা বিশ্বাসটো অথবা যাত্ৰা পথৰ আগেদি কেনেবাকৈ মেকুৰী পাৰ হৈ গ'লে ক্ষন্তেক ৰোৱা নিয়মটো সমগ্ৰ অসমীয়া

[২৪] Census Report of India, Assam, 1921, Vol. III.

[২৫] Endle, **The Kacharis**, Delhi, 1975, Appendix 1, p.92.

[২৬] Kosheswar Baruah, **Deori-Chutiya Language**, Guwahati, 2002, pp. 23-24; কিশোৰ দেউৰী, 'দেউৰী চুতীয়া ভাষা সংস্কৃতিৰ পৰিচয়', **সোণাগিৰি**, স্মৃতিগ্ৰন্থ, গোগামুখ, ২০০২, পৃঃ ৩৭, ১৩৩।

[২৭] বেণুধৰ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ১১।

[২৮] ডম্বৰুধৰ দেউৰী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৯, ১১৪।

[২৯] স্বৰ্ণলতা বৰুৱা, 'চুতীয়াসকলৰ সাংস্কৃতিক জীৱনত এভূমুকি', **কুণ্ডিল**, ২০০৫, পৃঃ ২৪।



সমাজলৈ বিয়পি পৰিছিল।[৩০]

অসমীয়া ভাষা সাহিত্য, গীত-পদ, আখ্যান-উপাখ্যান, ধৰ্মানুশীলন, আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বণ, খেল-ধেমালি, স্থাপত্য-ভাস্কৰ্য, খাদ্য তথা সামগ্ৰীক জীৱন যাত্ৰাত চুতীয়াসকলৰ অৱদান প্ৰণিধানযোগ্য। বেণুধৰ শৰ্মাই লেখি থৈ গৈছে- 'অসমীয়া চুতীয়া ল'ৰাৰ ধেনু-কাঁড় মাৰিবলৈ যেনে আগ্ৰহ, পেঁপা, মুৰুলি, সুতুলি, গগণা বজাই গীত-মাত গাই নাচিব-বাগিবলৈ যেনেকৈ সিঁহতক কোনেও শিকাব নালাগে, ভাওঁনা-সবাহে পদ দিয়াত চুতীয়া মানুহৰ কণ্ঠস্বৰ সুললিত আৰু মিঠা"।[৩১]

অসমীয়া সংস্কৃতিৰ সমৃদ্ধি বৃদ্ধিত চুতীয়াসকলৰ অবদান ফহিঁয়াই দেখুৱাবলৈ এক অন্তৰ বিজ্ঞানৰ আৰম্ভণ প্ৰয়োজন। চুতীয়া জাতিৰ প্ৰকৃত ইতিহাস প্ৰণয়ন সদ্যহতে এক কঠিন কাম হৈ আছে। কাৰণ তেওঁলোকৰ সুদীৰ্ঘ ৰাজত্ব কালৰ অৱধাৰিত বিৱৰণ থকা ঐতিহাসিক সকলো তথ্য-পাতি এতিয়ালৈকে পোহৰলৈ অহা নাই। আনহাতে অসমীয়া জাতীয় সংস্কৃতিৰ এক পূৰ্ণাঙ্গ অধ্যয়ন বৰ্তমানলৈকে হৈছে বুলি ক'ব নোৱাৰি। অসমীয়া সংস্কৃতিৰ গঠন আৰু বিকাশত চুতীয়াসকলকে ধৰি অসংখ্য জনগোষ্ঠীয়ে এক স্বাভাৱিক প্ৰক্ৰিয়াৰে তেওঁলোকৰ অৰিহণা আগবঢ়াইছে। অসংখ্য সৰু বৰ নদীৰ পানীৰে বৰ লুইত সৃষ্টি হৈ চিৰপ্ৰবাহমান হৈ থকাৰ দৰে অসংখ্য জনগোষ্ঠীৰ অৱদানেৰে স্বাভাৱিক সমন্বয়ৰ যোগেদি অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈ এক নিজস্ব আৰু আকৰ্ষণীয় ৰূপ লৈছে।

[৩০] স্বৰ্ণলতা বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ২১।

[৩১] বেণুধৰ শৰ্মা, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ১১।

# চুতীয়াসকলৰ আত্মপৰিচয়ৰ চেতনা

## সৰ্বভাৰতীয় পটভূমি ঃ

অসমৰ চুতীয়াসকলৰ মাজত আত্ম পৰিচয়ৰ চেতনাৰ উন্মেষ কোনো বিচ্ছিন্ন ঘটনা নহয়। ই এক ৰাজ্যজোৰা, দেশজোৰা, আনকি জগতজোৰা প্ৰক্ৰিয়াৰে অংশ। কুৰি শতিকাৰ দ্বিতীয় দশকৰ ৰুছ বিপ্লৱৰ দিন ধৰি পৃথিৱীব্যাপি মানুহৰ চিন্তা-চেতনাত এক ব্যাপক আলোড়ন পৰিলক্ষিত হয়। জোচেফ ভিচাৰিওভিচ স্তালিনে কোৱাৰ দৰে তেতিয়ালৈকে অজ্ঞাত বহু জাতিসত্বা আৰু জনগোষ্ঠীয়ে সমদল কৰি আহি যেন ইতিহাসৰ মঞ্চ দখল কৰিবলৈ লাগিল।

আন্তৰ্জাতিক ক্ষেত্ৰত 'পৃথিৱী কঁপোৱা দহটা দিনে' যি প্ৰভাৱ পেলালে, ভাৰতৰ ক্ষেত্ৰত তাক ত্বৰান্বিত কৰিলে স্বাধীনতা সংগ্ৰামে। স্বাধীনতা সংগ্ৰাম বোলোতে ইয়াত কেৱল ১৯৪৭ চনৰ ১৫ আগষ্টৰ এটা বিশেষ মুহূৰ্তৰ কথাই কোৱা হোৱা নাই বৰং ১৮৫৫ চনৰ চাওতাল বিদ্ৰোহৰ পৰা ১৯৪৭ চনলৈ প্ৰায় এক শতিকাজোৰা বিদ্ৰোহ-বিক্ষোভ-বিপ্লৱক সামৰি লোৱা হৈছে। তেনে কৰিলে আমি দেখা পাওঁ যে ১৮৫৫ চনত সিদু-কানহু-চান্দ-ভৈৰৱ ভাতৃবৃন্দৰ নেতৃত্বত সংঘটিত ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম-স্বৰূপ চাওতালসকলৰ সংগ্ৰাম, কোল বিদ্ৰোহ, চুয়াড় বিদ্ৰোহ, ভূমিজ বিদ্ৰোহৰ পৰা আৰম্ভ কৰি ১৯০০ চনত বীৰসা মুণ্ডাৰ নেতৃত্বত সংঘটিত উলগুলান ... এই সকলোবোৰ বিদ্ৰোহ বিক্ষোভেৰে এহাতেদি ব্ৰিটিছ-সাম্ৰাজ্যবাদ বিৰোধী আৰু আনহাতেদি ব্ৰাহ্মণ্যবাদ-সামন্তবাদ-বিৰোধী এক দ্বৈত চৰিত্ৰ আছিল। দ্বিতীয়তে বিভিন্ন জনগোষ্ঠীৰ মানুহক সময়ে সময়ে সামৰি ল'লেও এনে সংগ্ৰামবোৰৰ এক বিশিষ্ট জনগোষ্ঠীগত চৰিত্ৰও আছিল। ক'ব পাৰি সেয়া এক অনন্য ভাৰতীয় চৰিত্ৰই।

দশকৰ পিছত দশকজুৰি উপৰ্যুপৰি সংঘটিত এনে সংগ্ৰামবোৰে ভাৰতবৰ্ষৰ অচলায়তন গোষ্ঠীভিত্তিক গ্ৰাম্যজীৱনত আঘাত হানিছিল, আলোড়ন আনিছিল। হেজাৰ-বিজাৰ জ্ঞাত-অজ্ঞাত জাতি-বৰ্ণ-জাত-পাতে লৰচৰ কৰি বহিছিল আৰু ইতিহাসৰ মঞ্চত নিজকে ঘোষণা কৰিবলৈ উন্মুখ হৈ পৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদে নিজেও এই বিকাশত



কম বৰঙণি যোগোৱা নাছিল। মানুহ আৰু মানুহৰ মাজত থকা সূক্ষ্মাতিসূক্ষ্ম পাৰ্থক্যক আধুনিক পদ্ধতিসন্মত গৱেষণাৰ জৰিয়তে আৱিস্কাৰ আৰু পৰিবৰ্দ্ধন (magnify) কৰি, বিবিলাকক লালন-পালন কৰি আনুষ্ঠানিকীকৰণ আৰু প্ৰাতিষ্ঠানিকীকৰণ কৰাত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ কোনো তুলনা নাই। বহু গৱেষকে সেয়েহে এইবুলিও ভাবিবলৈ লৈছে যে ব্ৰিটিছে জাতি-বৰ্ণক কেৱল আৱিস্কাৰেই কৰা নাই, ইয়াক জীৱন অথবা পুনৰজীৱনো দিলে। আনহাতে এনেকৈও ভবাৰ থল আছে যে জাতি-বৰ্ণৰ যি ৰূপ বৰ্তমানে আমি দেখিছো সি বহুলাংশে ব্ৰিটিছৰে বৰঙণি। আধুনিক বল্লাল সেনৰ ভূমিকাৰে লোকপিয়লৰ প্ৰতিবেদনসমূহ যুগুতাবলৈ গৈ (এই ভূমিকাৰ কথা ব্ৰিটিছে নিজেই স্বীকাৰ কৰিছে। সেই সম্পৰ্কে পিছত উল্লেখ কৰা হ'ব।) ব্ৰিটিছে পুংখানুপুংখ পাৰ্থক্যকো তিলকে তাল কৰি তুলিছিল। সেই প্ৰক্ৰিয়াত পিয়লৰ প্ৰতিবেদনত নিজৰ সামাজিক স্থিতি উন্নীত দেখুৱাবলৈ উক্ত জাত-পাতবোৰৰ মাজত অভূতপূৰ্ব সক্ৰিয়তাৰ সূচনা হৈছিল।

ইয়াৰ উপৰিও ইচ্ছাকৃত বা অনিচ্ছাকৃতভাৱে ব্ৰিটিছে ভাৰতীয় সমাজত কেতবোৰ সুদূৰপ্ৰসাৰী পৰিবৰ্তনৰ বীজ ৰোপন কৰে। নিজৰ স্বাৰ্থতে এদল কেৰাণী-মহৰী তৈয়াৰ কৰিবৰ বাবেই হওক বা ইংৰাজী ভাষা-সংস্কৃতিৰ জয়ধ্বজা উৰুৱাবৰ বাবেই হওক, ব্ৰিটিছে ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তন কৰিছিল। ইয়াৰ সুযোগ চেগা-চোৰোকাকৈ হ'লেও অনা ব্ৰাহ্মণ বিভিন্ন সম্প্ৰদায়ৰ ব্যক্তিয়েও পাইছিল। ফলত বিদ্যা শিক্ষাৰ ওপৰত হেজাৰ-বছৰীয়া ব্ৰাহ্মণ-বৰ্ণ হিন্দু একাধিপত্য কিছু পৰিমাণে হ'লেও ক্ষয় পাইছিল। এই ইংৰাজী শিক্ষাৰে শিক্ষিত অনা-ব্ৰাহ্মণ, অ-বৰ্ণহিন্দু, শূদ্ৰ-শূদ্ৰাতিশূদ্ৰ-দলিত জনজাতিৰ সন্তানসকলে এক নতুন জাগৰণৰ নেতৃত্ব দিলে। ইংৰাজী শিক্ষাৰে শিক্ষিত বীৰসা মুণ্ডাই ব্ৰিটিছ সাম্ৰাজ্যবাদকে সশস্ত্ৰ প্ৰত্যাহ্বান জনালে; অৱশ্যে দেশীয় 'দিকু' মহাজন-ব্ৰাহ্মণ্যবাদী-সামন্তপ্ৰভুহঁতো তেওঁৰ ৰোষৰ পৰা সাৰি নগ'ল।

ইংৰাজী শিক্ষাই পৰিচিত কৰোৱা পশ্চিমীয়া গণতন্ত্ৰ-জাতিগঠনৰ ধ্যান ধাৰণাৰ পূৰ্ণ সদ্ব্যৱহাৰ ঘটাই আধুনিক ভাৰতৰ প্ৰথম দলিত-তাত্বিক মহাৰাষ্ট্ৰ জোতিবা ফুলেই (১৮২৭-১৮৯০) দলিতসকলৰ আত্ম চেতনা গঢ়াৰ প্ৰয়াস হিচাপে তেওঁলোকৰ এক নিজা ইতিহাস তথা ইতিহাস চেতনা গঢ়ি তোলাত তৎপৰ হৈছিল।[১]

এই ইতিহাস চেতনাৰে প্ৰবুদ্ধ হৈ ফুলেই কিদৰে দলিতসকলৰ নিজা বীৰ-বীৰাংগণাসহ এক পৃথক, স্বকীয় ইতিহাস ৰচনা কৰিবলৈ ওলাইছিল, সেই সম্পৰ্কে স্থানান্তৰত আলোচনা কৰা হৈছে। ইয়াত মাথো এই কথা কৈ থলেই যথেষ্ট হ'ব যে এই ইতিহাস চৰ্চাই দলিত নিপীড়িতসকলৰ মাজত দেশজুৰি এক আত্ম চেতনাৰ উন্মেষ ঘটাইছিল। নকলেও হ'ব যে ফুলেৰ পিছতে ফুলেৰ শিষ্য ড° ভীমৰাও ৰামজী আম্বেদকাৰে

---

১ G.P. Deshpande (ed.), **Selected Writings of Jotirao Phule**, p. 7.

(১৮৯১-১৯৫৬) এই চেতনাক দেশজুৰি এক সাংগঠনিক ৰূপ দিয়ে।

১৯ শতিকাৰ নৱম দশক পৰ্যন্ত ব্ৰিটিছ সেনা বাহিনীত ব্যাপকভাৱে ভৰ্তি হৈছিল মহাৰাষ্ট্ৰৰ মাহাৰ সম্প্ৰদায়ৰ যুৱকসকল। এই অস্পৃশ্য সম্প্ৰদায়টোৰ যুৱকসকলেও ব্ৰিটিছ সেনাবাহিনীৰ আন সৈনিকৰ দৰেই বাধ্যতামূলকভাৱে ইংৰাজী শিক্ষা ল'ব লাগিছিল। হেজাৰ-হেজাৰ দলিত যুৱকৰ এই ইংৰাজী শিক্ষাই পৰোক্ষভাৱে তেওঁলোকৰ মাজত এক আত্মপ্ৰত্যয় তথা আত্ম-চেতনাৰ জন্ম দিলে। পিছত ১৮৯২ চনত যেতিয়া ব্ৰিটিছ বাহিনীত মাহাৰসকলৰ ভৰ্তিকৰণ বন্ধ কৰা হ'ল, তাৰ প্ৰতিবাদ কৰিবলৈ আহিল ইতিমধ্যে ইংৰাজী শিক্ষিত মাহাৰসকলেই।[২] ইলিয়ানৰ জেলিয়টে দেখুৱাইছে যে ড° আম্বেদকাৰ আছিল এই অস্পৃশ্য মাহাৰ সম্প্ৰদায়ৰ সন্তান, যি পিতৃ-মাতৃ উভয় বংশৰ পৰাই ইংৰাজী শিক্ষাৰ সুযোগ পাইছিল। সেয়েহে তেওঁ হ'ব পাৰিছিল তেওঁলোকৰ আন্দোলনৰ পিতৃপুৰুষ।[৩]

কিন্তু কেৱল পশ্চিম ভাৰতৰ জোতিবা ফুলে বা ড° আম্বেদকাৰেই নহয়, ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত জাতি-বৰ্ণবাদৰ বিৰুদ্ধে প্ৰতিবাদ আহিছিল ভাৰতৰ সকলো কোণৰ পৰাই। উদাহৰণ স্বৰূপে কেৰালাৰ এড়াভাসকলৰ কথাই ক'ব পাৰি। ৰাজ্যখনৰ হিন্দু জনসংখ্যাৰ ২১.১৩ শতাংশ বিশিষ্ট ( ১৮৯১ চনৰ পিয়ল অনুসৰি) এড়াভাসকল আছিল কেৰালাৰ সবাতোকৈ উৎপীড়িত, অস্পৃশ্য জাতি। কিন্তু ১৯ শতিকাৰ দ্বিতীয় দশকত এই এড়াভাসকলৰে অগ্ৰসৰ অংশ চান্নাৰসকলে (যাক নাদাৰ নামেৰেও জনা যায়) দস্তুৰমত এক বিদ্ৰোহ ঘোষণা কৰিলে। এই এড়াভা সম্প্ৰদায়ৰে নেতা শ্ৰী নাৰায়ণ গুৰুৱে (জন্ম ১৮৫৫)কেৰালাৰ ত্ৰাভাংকুৰত বিখ্যাত মন্দিৰ প্ৰৱেশ আন্দোলনৰ নেতৃত্বদি অস্পৃশ্যতা-ভিত্তিক জাতি বৰ্ণবাদৰ ভেটিত ডাঙৰ জোকাৰণি তোলে। তেওঁৰ আন্দোলনৰ ফলতে ১৯৩৬ চনত ত্ৰাভাংকোৰৰ মহাৰজাই ঐতিহাসিক 'মন্দিৰ প্ৰৱেশ ঘোষণা'ৰ জৰিয়তে তেতিয়ালৈকে কেৱল বৰ্ণ হিন্দুৰহে প্ৰৱেশাধিকাৰ থকা চৰকাৰী মন্দিৰসমূহ সম্প্ৰদায় নিৰ্বিশেষে সকলো হিন্দুৰ বাবে মুকলি কৰি দিয়ে।[৪]

ইফালে তামিলনাডুত পেৰিয়াৰ ই ভি ৰামস্বামীয়ে (জন্ম ১৮৭৯) জাতি বৰ্ণবাদৰ বিৰুদ্ধে এই সময়তে আন এটা প্ৰবল আন্দোলনৰ নেতৃত্ব দিছিল। পেৰিয়াৰ কোনো কোনো ক্ষেত্ৰত ড° আম্বেদকাৰতকৈও কঠোৰপন্থী আছিল। উল্লেখযোগ্য যে উগ্ৰ পেৰিয়াৰে পিছপৰা শ্ৰেণীৰ বিৰোধিতা কৰা বুলি সংবিধান দাহো কৰে।[৫]

---

২ W.N. Kuber , **Dr. Ambedkar : A Critical Study**, pp.10-11.

৩ Elanor Zelliot, 'Learning the use of Political Means : The Mahars of Maharashtra in Rajni Kothari' (ed) Caste in Indian Politics, p.33.

৪ Dr. Debi Chatterjee : **Ideas and Movements against Caste in India,** p157-167.

৫ Ibid, p. 188.



সংৰক্ষণ, সম-অধিকাৰ, আনকি পৃথক নিৰ্বাচন মণ্ডলীৰ দাবীত দেশজুৰি দলিত-নিপীড়িত জনগোষ্ঠী সম্প্ৰদায়বোৰৰ যি আলোড়ন উঠিছিল, তাৰ ঢৌ চুবুৰীয়া বংগ হৈ অসমতো আচাৰ খাই খাই পৰিছিলহি। তাৰে এটি এচাৰকণি পৰিলক্ষিত হয় ১৮৮১ চনৰ তেতিয়াৰ পূৰ্ববংগৰ (বৰ্তমান বাংলাদেশ) খুলনা জিলাৰ দত্তডাঙা গাঁৱত অনুষ্ঠিত অস্পৃশ্য মানুহৰ এক মহাসন্মিলনত। ইয়াত অন্ততঃ দহখন জিলাৰ ৫০০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাপতিৰ আসনৰ পৰা গুৰুচাঁদ ঠাকুৰে নিজৰ বিভিন্ন ত্ৰুটী বিচ্যুতি পাহৰাই সকলোকে ঐক্যবদ্ধ হৈ শিক্ষা আন্দোলনত জঁপিয়াই পৰিবলৈ আহ্বান জনায়। গান্ধীয়ে স্বাধীনতা আন্দোলনত যোগ দিবলৈ আহ্বান জনাওঁতে গুৰুচাঁদ ঠাকুৰে কয় - 'যাৰ পিন্ধিবলৈ এটুকুৰা কাপোৰ, খাবলৈ মোটা চাউলৰ ভাত, সেয়াও প্ৰায়ে নিমিলে তেওঁলোকৰ বৰ্জন কৰিবলৈ আছে কি? এই দেশৰ বাবুহঁতে তোমালোকক মানুহ বুলি গণ্য নকৰে। আগতে সেয়া কৰক। দিয়ক শিক্ষাৰ অধিকাৰ। দূৰ কৰক অস্পৃশ্যতা, ভাই বুলি টানি লওক বুকুলৈ (তেতিয়া) আমি সন্মিলিতভাৱে ইংৰাজৰ বিৰুদ্ধে থিয় হ'ম। নহ'লে তেওঁলোকে যে আমাৰ মংগল বিচাৰে বুজিম কেনেকৈ?'[৬] ... ইয়াৰ পৰা দেখা যায় যে উনৈশ শতিকাৰ শেহৰ আৰু কুৰি শতিকাৰ প্ৰথমৰ দশককেইটা ইতিমধ্যেই উত্তাল হৈ উঠিছিল। এহাতেদি দেশজোৰা ব্ৰিটিছ বিৰোধী স্বাধীনতা সংগ্ৰাম আৰু আনহাতে ষ্টালিনৰ ভাষাত হেজাৰ বিজাৰ 'hitherto unknown' জাতিসত্বা আৰু জনগোষ্ঠীয়ে ইতিহাসৰ মঞ্চত কৰা আত্মঘোষণাৰে এই আলোড়ন আহিছিল। স্বাভাৱিকতেই অসমো ইয়াৰ ব্যতিক্ৰম নাছিল।

## অসমৰ পটভূমি ঃ

সৰ্বভাৰতীয় পটভূমিতকৈ অসমৰ পৰিস্থিতি বিশেষ বেলেগ নাছিল। ১৮৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ দুবছৰৰ ভিতৰতে, অৰ্থাৎ সুদূৰ ১৮৯৩ চনত, আজিৰ পৰা সুদীৰ্ঘ ১১৩ বছৰ আগতেই একে বছৰতে অসমৰ দুটা প্ৰধান জনগোষ্ঠীগত সংগঠন গঢ় লৈ উঠিছিল। তাৰে এটা আছিল বৃত্তিয়াল বণিয়া সভা, আৰু আনটো সদৌ অসম আহোম এচ'চিয়েশ্যন বা আহোম সভা।

পিয়ল-প্ৰতিবেদনৰ পৰিণতিতে হওক বা অন্যান্য কাৰকৰ কাৰণেই হওক, কুৰি শতিকাত বিদেশী ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষকতাত ত্বৰাম্বিত হোৱা সংস্কৃতায়ন বা আৰ্যীকৰণ প্ৰক্ৰিয়াই অসমৰ জাতি গঠন প্ৰক্ৰিয়াত প্ৰভূত প্ৰভাৱ পেলালে। অসমৰ বিভিন্ন জনগোষ্ঠীসমূহে সেই সময়ত আৰ্য- বৰ্ণহিন্দু হ'বলৈ হেতাওপৰা লগাইছিল আৰু পৰৱৰ্তী

---

৬ সুকৃতি ৰঞ্জন বিশ্বাস, **দলিত মুক্তি আন্দোলন**, পৃঃ ১৩৮-১৪০।

তেওঁৰ ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় নিৰন্ধনৰ আভাস দিয়া হৈছে। ছোট কোঁৱৰ ওৰফে কৃত্যপাল আছিল শেষ চুতীয়া ৰজা নীতিপালৰ ভতিজাক। তেওঁৰ কাহিনীটো সংযোজন কৰি পুথিখনৰ নাম **ছোট কোঁৱৰৰ বুৰঞ্জী** কৰা হৈছে। ইয়াত আজিও জীৱিত গজেন্দ্ৰ নাৰায়ণলৈকে সাধক নাৰায়ণৰ মুঠ ২৯ জন বংশধৰৰ নাম সন্নিবিষ্ট কৰা হৈছে।

**চুৎকীচন্দ্ৰ বংশাৱলী**[৯৬] নামেৰে মটক ৰাজ্যৰ প্ৰথম ৰজা সৰ্বানন্দ সিংহৰ পদ্যত ৰচিত বংশাৱলীত সৰ্বানন্দ সিংহৰ ৰাজত্বকালৰ (১৭৯৪-১৮০৫ খ্ৰীঃ) বিতং আৰু বহু পৰিমাণে নিৰ্ভৰশীল বিৱৰণ আছে। বংশাৱলীখনত সৰ্বানন্দ সিংহই নিজকে ভীষ্মকৰ বংশধৰ বুলি পৰিচয় দিছে। বংশাৱলীখন ৰচনা কৰিছে সৰ্বানন্দ সিংহৰ আজোনাতি প্ৰিয়বত গোহাঁয়ে। মন কৰিবলগীয়া কথা যে সৰ্বানন্দ সিংহৰ বংশধৰসকলে আহোম সম্ভ্ৰান্ত শ্ৰেণীক অনুকৰণ কৰি 'গোহাঁই' উপাধি লৈছিল।

সংক্ষিপ্ত উল্লেখ থাকিলেও চুতীয়া বুৰঞ্জী ৰচনাৰ এটা ঘাই সমল হ'ল আহোম আৰু অসমীয়া ভাষাত আহোম যুগত ৰচিত অসম বুৰঞ্জীসমূহ। এই বিলাকৰ ভিতৰত গোলাপ চন্দ্ৰ বৰুৱা অনুদিত আৰু সম্পাদিত **আহোম বুৰঞ্জী** (১৯৩০ খ্ৰীঃ), **শ্ৰী শ্ৰী স্বৰ্গনাৰায়ণ মহাৰাজাৰ জন্ম চৰিত্ৰ** নামেৰে **সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী**,[৯৭] ইতিপূৰ্বে উল্লিখিত **দেওধাই অসম বুৰঞ্জী**, **সাতসৰী অসম বুৰঞ্জী**, **পুৰণি অসম বুৰঞ্জী**[৯৮] আৰু ব্ৰিটিছৰ কৰতলীয়া ৰজা পুৰন্দৰ সিংহৰ আদেশত ১৮৩৫ চনত কাশীনাথ তামুলীফুকন ৰচিত আৰু ৰাধানাথ বৰবৰুৱা সংশোধিত **অসম বুৰঞ্জী**,[৯৯] উল্লেখযোগ্য। ইতিমধ্যে বলদেৱ সূৰ্য্যখড়ি দৈৱজ্ঞই আনুমানিক ১৭৯৮ খ্ৰীঃত ৰচনা কৰা **দৰঙ্গ ৰাজবংশাৱলী**ৰ[১০০] 'চুটিয়া ৰজাৰ বৃত্তান্ত'ত আহোম-চুতীয়া সংঘৰ্ষ আৰু চুতীয়া ৰাজ্য পতনৰ এটি আখ্যানমূলক বিৱৰণ আছে। তৎসত্ত্বেও, বংশাৱলীখনৰ পৰা সমকালীন চুতীয়াসকলৰ সামাজিক অৱস্থাৰ বিষয়ে কিছু সম্ভেদ পোৱা যায়।

আহোম ৰাজত্বৰ পৰৱৰ্তী কালত কেইবাজনো অসমীয়া বুদ্ধিজীৱিয়ে বুৰঞ্জী ৰচনাৰ কাম হাতত লৈছিল। তেওঁলোকৰ ভিতৰত প্ৰধানকৈ হলিৰাম ঢেকিয়াল ফুকন, মণিৰাম দেৱান, গুণাভিৰাম বৰুৱা আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ নাম ল'ব পাৰি। বাংলা ভাষাত ৰচিত হলিৰাম ঢেকিয়াল ফুকনৰ **আসাম বুৰঞ্জী**ত[১০১] চুতীয়া ৰাজ্যৰ উত্থান-পতনৰ সংক্ষিপ্ত বিৱৰণ পোৱা যায়। মণিৰাম দেৱানে ১৮৩৮ খ্ৰীঃত ৰচিত তেওঁৰ

[৯৬] সঙ্কলক আৰু প্ৰকাশক পেচবৰ গোহাঁই, তিনিচুকীয়া, ১৯৯৫।
[৯৭] সম্পাদিত সূৰ্য্য কুমাৰ ভূঞা, ১৯৬০।
[৯৮] সম্পাদিত হেমচন্দ্ৰ গোস্বামী, ১৯২২।
[৯৯] এই বুৰঞ্জীখন **আসাম বুৰন্‌জি পুথি** নামেৰে ১৮৪৪ চনত শিৱসাগৰৰ আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে প্ৰকাশ কৰিছিল। ১৯০৬ চনৰ দ্বিতীয় সংস্কৰণটো ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ সম্পাদনাত **অসম বুৰঞ্জীৰ সাৰ** নামেৰে ১৯৬৪ চনত প্ৰকাশ হয়।
[১০০] সম্পাদিত নবীন চন্দ্ৰ শৰ্মা, ১৯৭৩।
[১০১] ১৮২৯; যতীন্দ্ৰমোহন ভট্টাচাৰ্য সম্পাদিত; দ্বিতীয় সংস্কৰণ, গুৱাহাটী, ১৯৬২।



**বুৰঞ্জী বিবেক ৰত্ন**ত[১০২] স্পষ্টকৈ কৈছে - 'প্ৰথমে এতদ্দেশে বৰাহি, কছাৰি, চুটিয়াৰ দেশহে আছিলে'। গুণাভিৰাম বৰুৱাৰ **আসাম বুৰঞ্জী**ত[১০৩] চুতীয়াসকলক অসমৰ আদিবাসী লোক বুলি কোৱা হৈছে আৰু আহোমসকলৰ দ্বাৰা চুতীয়া ৰাজ্য জয়ৰ এটি চমু বিৱৰণ আগবঢ়োৱা হৈছে। ১৮৭০ ৰপৰা ১৮৮০ খ্ৰীঃৰ ভিতৰত ৰচিত হৰকান্ত শৰ্মা বৰুৱা সদৰামিনৰ **অসম বুৰঞ্জী**তো[১০৪] আহোম-চুতীয়া সংঘৰ্ষৰ এটি নিৰ্ভৰযোগ্য বিৱৰণ পোৱা যায়।

ওপৰোক্ত এই সকলোবোৰ বুৰঞ্জীৰ তথ্য শৃঙ্খলাবদ্ধভাৱে সজাই আৰু নিজৰ ফালৰপৰাও আহোম যুগৰ সভ্যতা-সংস্কৃতি সম্পৰ্কে কেইবাটাও অধ্যায় ৰচনা কৰি যুগুত কৰা হিতেশ্বৰ বৰবৰুৱাৰ **আহোমৰ দিন**[১০৫] নামৰ গ্ৰন্থখন চুতীয়া বুৰঞ্জী ৰচনাৰ বাবে অপৰিহাৰ্য। ইতিমধ্যে ১৮৯৯ চনত পদ্মনাথ গোহাঞি বৰুৱাই তেওঁৰ ৰচিত **অসমৰ বুৰঞ্জী**ত চুতীয়া ৰাজ্যৰ এটা বিতং বিৱৰণ দাঙি ধৰিছে।

**ব্ৰিটিছ লেখক সকলৰ বিৱৰণ** ঃ ভাৰতবৰ্ষলৈ আধুনিক প্ৰণালীৰে বুৰঞ্জীৰ গৱেষণা আৰু ৰচনা কৰাৰ পৰম্পৰা ব্ৰিটিছ বুদ্ধিজীৱিসকলে আনে। নিজৰ প্ৰশাসনীয় স্বাৰ্থতে তেওঁলোকে বুৰঞ্জী চৰ্চা কৰিছিল যদিও প্ৰণালীবদ্ধভাৱে অতীতক অধ্যয়ন কৰা প্ৰচেষ্টা তেওঁলোকৰ দিনতে আৰম্ভ হয়। অসমত ইয়াৰ পাতনি মেলে ১৭৯২ খ্ৰীঃত কেপ্তেইন ওৱেলছ (Captain Welsh)ৰ লগত সহকাৰী হিচাপে অহা চিকিৎসক ডাঃ জন পীটাৰ ৱেডে (Dr. John Peter Wade)। তেওঁৰ **A Geographical Sketch of Assam** আৰু আহোম প্ৰশাসন সম্বন্ধে লিখা টোকা অসম বুৰঞ্জীৰ গৱেষকসকলৰ বাবে অতি মূল্যবান। অসমত থকা ওঠৰমহীয়া কালছোৱাতে তেওঁ দুখন বুৰঞ্জী ইংৰাজীলৈ অনুবাদ কৰাইছিল (এখন টাই আহোম ভাষাত আৰু আনখন অসমীয়া ভাষাত লিখা)। তাৰে প্ৰথমখনত আহোমসকলৰ চুতীয়া ৰাজ্য বিজয়ৰ বিতং বিৱৰণ আছে। বেণুধৰ শৰ্মাই **An Account of Assam by Dr. John Peter Wade** নাম দি অসম বুৰঞ্জী দুখনৰ ভাঙনি আৰু ভূগোল সম্পৰ্কীয় বিৱৰণটো সম্পাদনা কৰি ১৯২৭ চনত প্ৰকাশ কৰিছিল।

১৮০৮-০৯ চনৰ ভিতৰত ফ্ৰান্সিচ বুকানন হেমিল্টনে (Francis Buchanan Hamilton) ৰচনা কৰা **An Account of Assam**[১০৬] নামৰ গ্ৰন্থত চুতীয়াসকলৰ জনসংখ্যাৰ এটা ইঙ্গিত দিছে আৰু আহোম প্ৰশাসনত 'চুতীয়া-বৰুৱা' নামৰ এক পদবী

[১০২] দ্বিতীয় খণ্ড, সম্পাদিত নগেন শইকীয়া, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০২
[১০৩] প্ৰথম প্ৰকাশ, কলিকতা, ১৮৮৪; অসম প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰথম প্ৰকাশ, গুৱাহাটী, ১৯৭২, দ্বিতীয় প্ৰকাশ, ২০০১
[১০৪] সম্পাদিত সূৰ্য্য কুমাৰ ভূঞা, ১৯৬০
[১০৫] পুথিখনৰ ৰচনা আৰম্ভ হৈছিল ১৯১৫ চনতে। সুদীৰ্ঘ ৬৬ বছৰৰ পিছত এই গ্ৰন্থখন প্ৰকাশ কৰে অসম প্ৰকাশন পৰিষদে ১৯৮১ চনত।
[১০৬] S.K. Bhuyan (ed.), 1963.

কালত জাতি-বৰ্ণপ্ৰথাত অন্তৰ্ভুক্ত হোৱাৰ কুপৰিণাম ভুগি কেনেকৈ পুনৰ তাৰ আওঁতাৰ পৰা বাহিৰ ওলাই পূৰ্বৰ জনজাতীয়তাৰ ফালে উভতি যাবলৈ তৎপৰ হ'ল, সেয়া লক্ষ্যণীয় আৰু তাৎপৰ্যপূৰ্ণ।

**লোকপিয়লৰ প্ৰতিবেদনত প্ৰতিফলিত চুতীয়া সকলৰ সামাজিক স্থিতি আৰু তাৰ পৰিণতিত উদ্ভুত আত্ম-চেতনা ঃ**

জাত-পাত সম্প্ৰদায় সম্পৰ্কে ভাৰতীয় সকল যে সচেতন, তাত কোনো সন্দেহ নাই। লোকপিয়লৰ প্ৰতিবেদনবোৰ হৈছে এই জাত চেতনাৰ আনুষ্ঠানিক দলিল, দস্তাবেজ। মানুহ আৰু মানুহৰ মাজত থকা সূক্ষ্মতম পাৰ্থক্যবোৰকো ইয়াত আলোকপাত কৰা হৈছে। সেই চুলি যেন পাৰ্থক্যবোৰকো বিভেদৰ একোখন উপসাগৰত পৰিণত কৰিবলৈ চতুৰ ব্ৰিটিছে যত্নৰ ক্ৰটী কৰা নাছিল। উল্লেখনীয় যে ১৯৩১ চন পৰ্যন্ত লোকপিয়ল প্ৰতিবেদন জাত-পাতৰ ভিত্তিত গণনা কৰা হৈছিল। ইয়াৰ ভিতৰৰ দুখন লোকপিয়ল প্ৰতিবেদনত চুতীয়াসকলৰ সম্পৰ্কে কি উল্লেখ আছিল, আৰু সি সিবিলাকৰ আত্ম-চেতনা কেনেধৰণে প্ৰতিফলিত কৰে, তাকে সদ্যহতে চাবলৈ চেষ্টা কৰা হ'ব।

চৰকাৰী বিভিন্ন ৰেকৰ্ড সমূহ, বিশেষকৈ ব্ৰিটিছৰ দিনৰ লোকপিয়লৰ প্ৰতিবেদনসমূহত বিভিন্ন জনগোষ্ঠী য সম্প্ৰদায়ৰ সমসাময়িক অৰ্থনৈতিক, সামাজিক, শৈক্ষিক স্থিতিৰ প্ৰতিফলন ঘটিছিল। আকৌ তাকেই কেন্দ্ৰ কৰি সেই সম্প্ৰদায় সমূহৰ মাজত জাতীয় সম্প্ৰদায়গত চেতনাৰ বিকাশ ঘটাৰো বহু উদাহৰণ আছে। পুনৰ তেনে প্ৰতিবাদ/আন্দোলনৰ পৰিণতিত হয়তো সংশ্লিষ্ট সম্প্ৰদায়টোৰ সামাজিক স্থিতিৰ পৰিৱৰ্তন ঘটে; বহুক্ষেত্ৰত সি লাভ কৰে উৰ্দ্ধমুখী সামাজিক সচলতা।

১৮৮১ চনৰ লোকপিয়লৰ প্ৰতিবেদনত অসমৰ বিভিন্ন জিলাত চুতীয়াসকলৰ জনসংখ্যা এনেধৰণৰ আছিল -

| জিলা | জনসংখ্যা |
|---|---|
| গোৱালপাৰা | ১৯১৮ |
| কামৰূপ | ১১৬৮ |
| দৰং | ১৩৬২ |
| নগাওঁ | ৮০৫৫ |
| শিৱসাগৰ | ২৯,৯৫২ |
| লক্ষীমপুৰ | ১৬,৭০৮ |
| মুঠ | ৫৯,১৬৩ |

লগতে ইয়াকো কোৱা হয় যে সেই চনত বৰ্তমান বাংলাদেশৰ চিলেটত ১০৬৯ জন



চুতীয়া আছিল। ১৮৯১ চনৰ লোকপিয়ল প্ৰতিবেদনত চুতীয়া সকলক আহোমসকলৰ প্ৰায় সমমৰ্য্যাদাৰ এটা সম্প্ৰদায় বুলি কোৱা হৈছে। সেইদৰে চুতীয়াসকলৰ বিষয়ে ১৯০১ চনৰ লোকপিয়লৰ প্ৰতিবেদনত এনেকৈ লিখা আছে - '**Chutia** : At the time of the Ahom invasion they were the dominant power in upper Assam, but they were completely crushed by the Ahoms at the beginning of the 16th century. Hinduism has made great strides amongst the Chutias even before their overthrow, and they are now divided into three classes, Hindu, Ahom, and Borahi Chutia. The first two sections of the tribe have been completely Hinduised but though they intermarry, the Hindu Chutia claims to take precedence of the Ahom Chutia, and I am told that the presence of the latter in any house debars a Brahman from drinking water there, though the same restraint is not exercised by the Hindu Chutia. They are served by a patit Brahman, and their manners and customs are those of the ordinary low caste Assamese. The Borahi Chutia, as his name signifies, is still unconverted, and an eater of swine's flesh, but he will not touch goat, which is permitted, of course, to the Hinduised section of the tribe, a survival, no doubt, of some totemistic theories on the subject. The position of the caste in society is a low one and education has made little progress amongst them.'[৭]

উক্ত মন্তব্যৰ পৰা স্পষ্ট হোৱা কেতবোৰ দিশ হ'ল -

(১) আহোমসকলৰ হাতত পৰাজয়ৰ আগৰে পৰা চুতীয়াসকলৰ মাজত হিন্দুধৰ্মৰ ব্যাপক প্ৰভাৱ আছিল,

(২) চুতীয়াসকলৰ মাজৰ দুটা অংশ, অৰ্থাৎ আহোম-চুতীয়া আৰু হিন্দু-চুতীয়াসকল সম্পূৰ্ণৰূপে হিন্দুকৃত হৈছিল,

(৩) সম্পূৰ্ণৰূপে হিন্দুকৃত হোৱাৰ পিছতো তেওঁলোকক কোনোধৰণৰ মৰ্যাদা দিয়া হোৱা নাছিল,

(৪) তেওঁলোকৰ হাতৰ পৰা পানী খোৱাহে নালাগে, কোনো এটা ঘৰত কোনো আহোম-চুতীয়া এজন উপস্থিত থাকিলে সেই ঘৰটোৰ ভিতৰত থাকি ব্ৰাহ্মণ এজনে পানী এচলুও নাখাইছিল,

(৫) আহোম-চুতীয়াতকৈ হিন্দু-চুতীয়াৰ অৱস্থান ওপৰত আছিল,

(৬) কিন্তু তেওঁলোকৰ হৈও কোনো মৰ্যাদাপূৰ্ণ ব্ৰাহ্মণে যজমানী নকৰিছিল; কৰিছিল একশ্ৰেণীৰ পতিত ব্ৰাহ্মণেহে আৰু

(৭) সামগ্ৰিকভাৱে সম্প্ৰদায়টোৰ স্থিতি অতিশয় নিম্ন পৰ্যায়ৰ আছিল আৰু

---

৭ Chapter on Caste, **Census of 1901**, Ch XI, p.126

তেওঁলোকৰ মাজত শৈক্ষিক প্ৰগতিও আছিল অতিশয় সামান্য। এইখিনিতে কৈ যোৱা উচিত হ'ব যে আশ্চৰ্যজনকভাৱে ১৮৯১ চনৰ চুতীয়া জনসংখ্যাৰ তুলনাত ১৯০১ চনৰ চুতীয়া জনসংখ্যা বাঢ়ক চাৰি কমিছিলহে। সেই অনুসৰি ১৮৯১ চনত চুতীয়া জনসংখ্যা আছিল ৮৭,৬৯১ আৰু ১৯০১ চনত সেয়া হ'লগৈ মাত্ৰ ৮৫,৮২৯।

| জিলা | ১৮৯১ চন | ১৯০১ চন |
|---|---|---|
| কামৰূপ | ১০৩৬ | ৭১৩ |
| দৰং | ৩৫৪৬ | ৩৫৫৩ |
| নগাওঁ | ১০৪৬৮ | ৬৬৮৩ |
| শিৱসাগৰ | ৫৪,৫৮৭ | ৫৭০৩০ |
| লক্ষীমপুৰ | ১৭,২০৬ | ১৭৫৪৮ |
| আন জিলা | ৮৪৮ | ৩৪২ |
| মুঠ | ৮৭,৬৯১ | ৮৫,৮২৯ |

এটা দশকত স্বাভাৱিক বৃদ্ধিৰ বিপৰীতে চুতীয়া সকলৰ জনসংখ্যা এনেকৈ কমি যোৱাৰ কোনো ব্যাখ্যা প্ৰতিবেদনখনত নাই। মাত্ৰ জিলাবিলাকৰ চুতীয়া লোকৰ জনসংখ্যা উল্লেখ কৰাৰ সময়ত সামান্যভাৱে উল্লেখ আছিল এইদৰে ঃ 'There has been little change except in Nowgong, where Chutias, like the rest of the population, have suffered badly'. নগাঁৱত চুতীয়া সম্প্ৰদায়ৰ ৪০% মানুহ হ্ৰাস হোৱাৰ উপৰিও কামৰূপত ৩০%, আন জিলা বিলাকত ৪০% মানুহৰ হ্ৰাস এটা আশ্চৰ্যকৰ কথা। একমাত্ৰ শিৱসাগৰ জিলাৰ বাহিৰে আন ক'তোৱেই এই দহ বছৰত চুতীয়া সকলৰ স্বাভাৱিক বৃদ্ধিও নঘটিল কিয়? সেই সম্পৰ্কে অনুসন্ধান কৰিলে আমি দুটা উত্তৰ পাওঁ -

(১) দৰং জিলাৰ চুতীয়া সকলক আহোম-চুতীয়া বুলি ধৰিবলৈ গৈ আহোমৰ মাজতে গণনা কৰা হৈছে বুলি প্ৰতিবেদনতে উল্লেখ আছে।

(২) এক জাতীয় হীনমন্যতাৰ ভাৱৰ ফলত বহু চুতীয়া লোকে লোকপিয়লত নিজকে চুতীয়া বুলি লিপিবদ্ধ নকৰাই আন সম্প্ৰদায় হিচাবে দেখুওৱা। উল্লেখ্য যে চুতীয়া সংগঠনসমূহৰ স্মৃতিগ্ৰন্থসমূহৰ প্ৰায় প্ৰতিটো সংখ্যাত এনে হীনমন্যতাৰ ফলত বহু চুতীয়ালোকে আত্মপৰিচয় গোপনে ৰাখিব বিচৰাৰ প্ৰৱণতাত গভীৰ উদ্বেগ প্ৰকাশ কৰা হৈছে। অস্পৃশ্যতা আৰু অৱহেলাৰ জৰিয়তে একোটা সম্প্ৰদায়ৰ মানুহৰ সংখ্যা ক্ৰমাগত কমাই আনি তাক নিঃশেষপ্ৰায় অৱস্থালৈ ঠেলি দিয়াটো নিশ্চয় সমাজতাত্ত্বিক ভাৱে লক্ষ্যণীয় ঘটনা।

যি কি নহওক, আমি পুনৰ পূৰ্বৰ প্ৰসংগলৈ ঘূৰি যাওঁ। সেয়া হ'ল লোক পিয়লৰ প্ৰতিবেদনকে ধৰি বিভিন্ন চৰকাৰী দলিল দস্তাবেজত চুতীয়াসকলৰ সামাজিক



অৱস্থান কেনেকৈ প্ৰতিফলিত হৈছিল, তালৈ ১৯০১ চনৰ লোকপিয়লৰ প্ৰতিবেদনৰ একাদশ অধ্যায়ৰ ১৫৩ পৃষ্ঠাত Hindu caste by social precedence(Brahmaputra valley) বুলি এখন তালিকা আছে।[৮]

এই তালিকা তথা স্তৰ বিন্যাসত ২০ টা হিন্দু জাতৰ ভিতৰত চুতীয়াসকলক ১৪ নং অৱস্থানত, আৰু তৃতীয়টো গোটত দেখুওৱা হৈছে। এই ক্ষেত্ৰত তেওঁলোক আহোমসকলৰ সৈতে একেটা গোটত পৰিছে আৰু দুয়োটাই এসময়ত ৰাজ্য শাসন কৰা জাতি আছিল। এইদৰে এসময়ত শাসক হৈ থকা সম্প্ৰদায়সমূহৰ ব্ৰাহ্মণে পানী এচলুও গ্ৰহণ কৰিব নোৱাৰা অস্পৃশ্য অৱস্থা প্ৰাপ্ত হ'ল। এনে হোৱাৰ উত্তৰ বিচাৰিবলৈ গ'লে আন এক অধ্যায়ৰ পাতনি মেলিব লাগিব। উল্লেখিত প্ৰসঙ্গত দুটা গুৰুত্বপূৰ্ণ তথ্য যোগ দিব লগীয়া আছে। যথা -

(১) ব্ৰিটিছে নিজেই ভাৰতবৰ্ষৰ জাতি বৰ্ণ ব্যৱস্থাৰ ভিতৰত নিহিত সূক্ষ্মতম দ্বন্দ্ববোৰ লৈ গৱেষণা কৰি সেইবোৰ বহুগুণে বিকশিত কৰি তাক নিজৰ স্বাৰ্থত শাসনৰ সুবিধাৰ্থে ব্যৱহাৰ কৰিছিল।

(২) আন এটা গুৰুত্বপূৰ্ণ কাৰক হ'ল অন্তৰ্দেশীয় লোকপিয়লৰ প্ৰতিবেদনত বিভিন্ন জাতৰ স্থিতি নিৰূপন কৰিবলৈ যাওঁতে ব্ৰিটিছসকলে সত্ৰাধিকাৰ মহন্তকে ধৰি দেশীয় বৰ্ণহিন্দুসকলৰ মতামত লৈছিল। উক্ত বৰ্ণহিন্দু সকলেও সমাজৰ ওপৰত নিজৰ প্ৰভাৱ প্ৰভুত্ব প্ৰতিষ্ঠা কৰিবলৈ ব্ৰিটিছক সঁচাই মিছাই মতামত আৰু পৰামৰ্শ দিছিল। ইয়াৰ পৰা দেখা যায় যে একোটা জাত-সম্প্ৰদায়ৰ সামাজিক প্ৰস্থিতি নিৰ্ণয় কৰিছিল বহুলাংশে ব্ৰিটিছে বৰ্ণহিন্দুৰে মিলি। চুতীয়াসকলৰ ক্ষেত্ৰতো সেয়েই ঘটিছিল। তেওঁলোকৰ সামাজিক স্থিতি তেওঁলোকক সুধি ঠিক কৰা হোৱা নাছিল।

**ৰিপুঞ্জয় স্মৃতি** নামৰ এখন পুথিয়ে এসময়ত অসমত প্ৰচণ্ড আলোড়ন তুলিছিল। সেই পুথিখনত আহোম আৰু চুতীয়া জাতিক বৰ্ণশংকৰ, অন্ত্যজ আদি আখ্যা দি হিন্দু সমাজত হেয় কৰি দেখুৱাইছিল। আহোম-চুতীয়াৰ ঘৰত কোনো বামুণে বিবাহ, শ্ৰাদ্ধ আদিত পুৰোহিতালি কৰিলে সেই পুৰোহিতক প্ৰায়শ্চিত্ত কৰিহে শুদ্ধ কৰাৰ বিধান দিছিল। এই পুথিখনৰ বিৰুদ্ধে আহোমসকলৰ মাজৰ পৰা প্ৰচণ্ড প্ৰতিবাদ উঠিছিল। চুতীয়াসকলৰ প্ৰতিক্ৰিয়া অৱশ্যে জ্ঞাত নহয়, কিন্তু তেওঁলোকৰ যে ইয়াত আনন্দিত হ'ব লগীয়া একো নাছিল, তাত সন্দেহৰ একো নাই।[৯] এই অস্পৃশ্যতাৰ প্ৰকোপ ইমানেই বেছি আছিল যে সাহিত্যতো তাৰ প্ৰতিফলন ঘটিছে।[১০]

৮ **1901 Census Report,** Ch. XI, p.153.

৯ ৰামেশ্বৰ বড়া, **আহোম সভাৰ বুৰঞ্জী**, পৃ ১১-১২।

১০ উদাহৰণ স্বৰূপে দীন তামুলী ৰচিত এখন নাটকৰ এই সংলাপটোলৈ আঙুলিয়াব পাৰি - 'বৰমেধি দেউতা। আমাক চুতীয়া বুলি বৰ্ণহিন্দু সম্প্ৰদায়বোৰে নিন্দা কৰে। চুতীয়া, মৰাণ, মটক আদি জাতিক অস্পৃশ্য বুলি লেইলেই-ছেইছেই কৰে।'

চুতীয়াসকলৰ প্ৰতি থকা অস্পৃশ্যতা ভাৱৰ প্ৰতি তেওঁলোকৰ যি প্ৰতিক্ৰিয়া হৈছিল তাৰ প্ৰমাণ পোৱা যায় আসাম চুতীয়া সন্মিলনৰ প্ৰথম অধিবেশনৰ (১৯২৫) অভ্যৰ্থনা সমিতিৰ সভাপতি হেমধৰ পাত্ৰ বৰাৰ অভিভাষণত - 'চুতীয়াবিলাকৰ গৌৰৱৰ দিন আঁতৰি যোৱাৰ লগেলগে অৱস্থা তলপৰি অহাত বহুতৰ এনেকুৱা এটা বিশ্বাস হ'বলৈ ধৰিছে যেন এটা কুলহীন অপৱিত্ৰ জাত, গতিকে ঘৃণনীয় আৰু নিন্দনীয়। ইফালে বুৰঞ্জী আদি কিতাপ পুথিত চুতীয়া বিলাক ভীষ্মকৰ বংশধৰ নুবুলিও থকা নাই। তথাপিও কটা তামোল, পানী অনা খোৱাত হিন্দুৰ উচ্চ জাতিসকলৰ আপত্তি।'[১১] চুতীয়াসকলৰ প্ৰতি থকা অস্পৃশ্যতামূলক ভাৱ সমগ্ৰ কুৰি শতিকাৰ কালছোৱাতো পৰিলক্ষিত নোহোৱা কৈ নাথাকিল।[১২]

ইয়াৰ পৰা দেখা পোৱা যায় যে চুতীয়াসকলৰ ক্ষেত্ৰত যি অস্পৃশ্যতাৰ আচৰণ কৰা হৈছিল, সি এটা বিচ্ছিন্ন ঘটনা নাছিল, বৰং দশকৰ পিছত দশক, আনকি শতিকাজুৰি চলি থকা এক সামাজিক প্ৰক্ৰিয়া আছিল। চুতীয়াসকলৰ মাজত এক বিদ্ৰোহী আত্ম চেতনাৰ উন্মেষ ঘটোৱাৰ ক্ষেত্ৰত এই অস্পৃশ্যতা-আচৰণৰ নিশ্চয় ভূমিকা আছিল।

**ক্ষতিগ্ৰস্ত শিক্ষা; সাক্ষৰৰ স্বল্পসংখ্যা ঃ**

এইখিনিতে এনে অস্পৃশ্যতা বা বিদ্বেষ বৈষম্যই চুতীয়া সকলৰ শিক্ষা-দীক্ষাৰ ওপৰত কি প্ৰভাৱ পেলাইছিল, তাৰ এটা পৰিসংখ্যা জানি থোৱা প্ৰয়োজন। সেইমতে ১৯০১ চনৰ দুটামান পৰিসংখ্যা এনেধৰণৰ, য'ৰ পৰা দেখা যায় যে সামাজিক বিদ্বেষ বৈষম্য -অস্পৃশ্যতা, ৰাজনৈতিক বিভাজন, অৰ্থনৈতিক অনগ্ৰসৰতা আদি বিভিন্ন কাৰণত চুতীয়াসকল অতি শোচনীয়ভাৱে পিছ পৰি ৰৈছিল। কুৰি শতিকাৰ প্ৰথম বছৰটোত সম্প্ৰদায়টোৰ মাত্ৰ ২.৩৯% মানুহহে সাক্ষৰ আছিল চুতীয়া নাৰীসকলৰ শিক্ষা দীক্ষা আছিল অধিক শোকাবহ। তেওঁলোকৰ মাত্ৰ ০.০৩% হে সাক্ষৰ আছিল, আনহাতে ইংৰাজী আখৰ চিনি পোৱা পুৰুষ সেইসময়ত ০.৪৭% আছিল, নাৰী আছিল ০%।

---

[১১] **কুণ্ডিল**, চতুৰ্থ সংখ্যা, পৃঃ ১।

[১২] সেই অধিবেশনৰ সুদীৰ্ঘ ৪৩ বছৰ পাছত অনুষ্ঠিত চতুৰ্দশ অধিবেশনতো ঘোষণা কৰিব লগীয়া অৱস্থা হৈছে যে, 'চুতীয়াসকল ঢাপৰ বাহিৰৰ অস্পৃশ্য নহয়'। আৰু তাৰ পাছতো পুনৰ এঘাৰ বছৰ পাৰ হৈ যোৱাৰ পাছতো, অৰ্থাৎ ১৯৭৯ চনতো অস্পৃশ্যতা বাহাল থকাৰ অকাট্য প্ৰমাণ পোৱা যায় সদৌ চুতীয়া জাতি সন্মিলনৰ বিংশতম অধিবেশনৰ সভাপতিৰ অভিভাষণত। সেই অভিভাষণত গোলোক চন্দ্ৰ বড়াই কয় ঃ 'চুতীয়াসকলৰ সামাজিক অৱস্থা হিন্দু সমাজৰ একেবাৰেই তলখাপত। সামাজিক অনুষ্ঠান, যেনে বিবাহ, শ্ৰাদ্ধবিধি, সবাহ-ভাৱনা আদিত কিছুমান দ্ৰব্যবস্তু চুতীয়াসকলে বিতৰণ কৰিলে উন্নত বৰ্ণৰ লোকে নেখায়। ভোজ সবাহৰ কথাটো বেলেগেই, সাধাৰণ সেৱাত চুতীয়া দেউৰীয়ে পায়স কণ সিজালেও উন্নতবৰ্ণৰ লোকে গ্ৰহণ নকৰাৰ শ-শ উদাহৰণ আছে।'



এই পৰিসংখ্যাৰ তিনিদশক পিছতো পৰিস্থিতিৰ বিশেষ পৰিবৰ্তন পৰিলক্ষিত হোৱা নাছিল। অস্পৃশ্যতাই যে চুতীয়াসকলক শৈক্ষিক দিশত বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰিছিল, তাৰ প্ৰমাণ পোৱা যায়, ১৯৩০ চনৰ অধিবেশনত গৃহীত এই প্ৰস্তাৱটোৰ পৰা - 'ষষ্ঠ প্ৰস্তাৱ ঃ শিক্ষা বিভাগে প্ৰতিবছৰে স্কুলত পঢ়া ছাত্ৰৰ জাতি হিচাপে হিচাপ লওঁতে চুতীয়াবিলাকক নীহ জাতি বুলি লেখত ধৰাত এই সন্মিলনে প্ৰতিবাদ কৰিছে আৰু সোনকালে সেই ভুল শুধৰাবৰ নিমিত্তে কৰ্তৃপক্ষক জনাইছে'।[১৩]

উক্ত প্ৰস্তাৱৰ ৮ বছৰৰ পিছত ১৯৩৮ চনৰ বেঙেনাখোৱা অধিবেশনৰ সভাপতিৰ অভিভাষণত কোৱা হয় - 'শিক্ষাবিষয়ত আমি একেবাৰে পিছপৰা। ১৯২০-২১ চনৰ পিয়লত আমাৰ শিক্ষিতৰ সংখ্যা (৭ বছৰৰ ওপৰৰ) মতা ৬৭২৮ আৰু তিৰোতা ২১৬ বুলি পোৱা গৈছে। এইমতে আমাৰ ১৪ ভাগৰ এভাগ অৰ্থাৎ শতকৰা প্ৰায় ৭ জনেহে শিক্ষা পাইছে। (প্ৰকৃত) সংখ্যা ইয়াতোকৈ কমহে হ'ব। পিয়লৰ গন্তি কৰোঁতাবিলাকৰ আগত পৰিয়ালৰ মানুহে নিজৰ মৰ্যাদা নষ্ট হোৱাৰ ভয়ত লিখা পঢ়া নজনা নিজৰ পৰিয়ালকো শিক্ষিত বুলিহে কয়। গতিকে শিক্ষিতৰ সংখ্যা যে অতি কম, তাৰ পুনৰুক্তি আৱশ্যক নকৰে। তত্ৰাচ আজি ১৯৩৯ চনতো যে শিক্ষিতৰ সংখ্যা বেছি হৈছে, সি সন্দেহজনক কথা। শিক্ষাৰ বাহিৰে যে জাতীয় উন্নতি অসম্ভৱ তাক সকলোৱে বুজে।'[১৪]

১৯৪৬ চনত শৈক্ষিক ভাৱে চুতীয়াসকল ইমান পিছপৰি ৰোৱাৰ সময়ত অসমত কিন্তু কংগ্ৰেছ চৰকাৰহে আছিল (স্বাধীনতাৰ আগতো তেনে চৰকাৰ গঠিত হৈছিল)। সেয়েহে ১৯৪৬ চনৰ চুতীয়াসন্মিলনৰ বৈঠকে প্ৰস্তাৱ লৈছিল যে - 'অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি আৰু সদৌ অসম চুতীয়া সন্মিলনৰ মাজত হোৱা সিদ্ধান্ত আৰু কংগ্ৰেছৰ আশ্বাসমতে অসমৰ সকলো সম্প্ৰদায়তকৈ পিছ পৰি থকা চুতীয়া জাতিক তলত দিয়া সকলো বিষয়তে উল্লেখ কৰা হাৰে বিশেষ সুবিধা দি উন্নতি সাধনৰ ব্যৱস্থা কৰিবলৈ আজিৰ সভাই অসম কংগ্ৰেছ গভৰ্ণমেণ্টক টানি অনুৰোধ কৰে।

(ক) প্ৰাইমেৰী বৃত্তি ২৫ টা।

(খ) ছাত্ৰ বৃত্তি ১০ টা।

(গ) মধ্য ইংৰাজী ৮ টা।

(ঘ) মেট্ৰিক ৫ টা।

(ঙ) নৰ্মাল ৩ টা।

(চ) পোষ্ট গ্ৰেজুৱেট ক'ৰ্চ ২ টা।

(ছ) ডাক্তৰী, মাইনিং, এগ্ৰিকালচাৰ, চেৰিকালচাৰ, টেকনিকেল ক'ৰ্চ, ভেটেৰীনেৰী, ইঞ্জিনিয়াৰিং আদি প্ৰত্যেক বিভাগতে বৃত্তি ১ টাকৈ।

---

[১৩] আসাম চুতীয়া সন্মিলনৰ চতুৰ্থ অধিবেশনৰ সভাপতিৰ অভিভাষণ, বানমুখ, ১৯৩০, পৃঃ ৪৬।

[১৪] পূৰ্ণচন্দ্ৰ শইকীয়া, **সভাপতিৰ অভিভাষণ**, অসম চুতীয়া সন্মিলনী, বেঙেনাখোৱা, ১৯৩৮-৩৯, পৃঃ ৮।

(জ) প্ৰত্যেক গভৰ্ণমেণ্ট আৰু গভৰ্ণমেণ্ট সাহায্যপ্ৰাপ্ত স্কুলসমূহত অন্ততঃ ৫ টাকৈ ফ্ৰি ষ্টুডেণ্টশ্বিপ আৰু ১০ টাকৈ আছুতীয়া চিট।

(ঝ) বেৰী হোৱাইট মেডিকেল স্কুলত শিক্ষা লাভ কৰিবৰ কাৰণে প্ৰতিবছৰে ডাক্তৰী শ্ৰেণীত ২ টা আৰু কম্পাউণ্ডেৰী শ্ৰেণীত ২ টা আছুতীয়া চিট।

(ঞ) পিছপৰা অঞ্চল বিলাকত শিক্ষা বিস্তাৰৰ কাৰণে নতুন স্কুল স্থাপন আৰু পুৰণা স্কুল সংস্কাৰ কৰা।'[১৫]

ইয়াৰ পৰা দেখা যায় স্বাধীনতাৰ প্ৰাক্‌মুহূৰ্তত চুতীয়াসকলৰ শৈক্ষিক প্ৰত্যাশা আছিল বিনম্ৰ আৰু সামান্য। কিন্তু আশ্চৰ্য ভাৱে এইখিনি ন্যূনতম প্ৰত্যাশাও পূৰণ নহ'ল। তাৰ সাক্ষ্যও পোৱা যায় অচিৰেই। ১৯৫৩ চনত প্ৰস্তুত আন এখন স্মাৰকপত্ৰত পোৱা যায় - 'মাত্ৰ লিখিব আৰু পঢ়িব জনা শিক্ষিতৰ সংখ্যাও তেওঁলোকৰ মাজত অতি সামান্য। চুতীয়াসকলৰ মাজত হাতৰ আঙুলিতে লিখিব পৰা কেইজনমান বি. এ. পাচ কৰা লোক আছে আৰু অন্যান্য এম এ, এম এচ চি, এম. বি., বি.ই আদি বিষয়ত উচ্চ শিক্ষিত লোক এজনো নাই। চুতীয়া সম্প্ৰদায়ৰ স্বৰূপ ইয়াৰ পৰাই বঢ়িয়াকৈ বুজিব পাৰি।'[১৬]

এই স্মাৰকপত্ৰৰ সুদীৰ্ঘ ২১ বছৰ পিছত, ১৯৭৪ চনৰ চাৰিং অধিবেশনত গৃহীত নিম্নোক্ত প্ৰস্তাৱটোৱে পুনৰ চুতীয়াসকলৰ সমসাময়িক শৈক্ষিক আকাংক্ষ্যাৰ উমান দিয়ে - 'শিক্ষাৰ ক্ষেত্ৰত যিহেতুকে চুতীয়া জাতিৰ লোকসকলক অধিক পিছপৰা সম্প্ৰদায় বুলি গণ্য কৰা হৈছে; গতিকে বিভিন্ন কাৰিকৰী শিক্ষানুষ্ঠানত এই জাতিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰতিযোগিতামূলক আসনৰ উপৰিও তলৰ নিৰিখত সংৰক্ষিত আসনৰ দিহা কৰিব লাগে।

১। অসম মেডিকেল কলেজ - ১০
২। গুৱাহাটী মেডিকেল কলেজ - ৬
৩। শিলচৰ মেডিকেল কলেজ - ৪
৪। অসম ইঞ্জিনিয়াৰিং কলেজ - ৬
৫। যোৰহাট ইঞ্জিনিয়াৰিং কলেজ- ৬
৬। অসম কৃষি বিশ্বদ্যািলয় - ২৫
(কৃষি কলেজ-১০ চাহ গৱেষণা কেন্দ্ৰ-৫ পশু চিকিৎসা কলেজ - ১০)
৭। চৰকাৰী বিজ্ঞান কলেজ- ১০
৮। গুৱাঃ আৰু ডিব্ৰুঃ বিশ্বদ্যিালয় ঃ ছাত্ৰ ছাত্ৰীৰ আসন আৰু শিক্ষকৰ নিযুক্তি।'[১৭]

কিন্তু তাৰ পিছত আৰু বহু বছৰ পাৰ হৈ যোৱাৰ পিছতো পৰিস্থিতিৰ বিশেষ

[১৫] সদৌ অসম চুতীয়া সন্মিলনঃ মৰাণ অধিবেশন (১৯৪৬)ত গৃহীত প্ৰস্তাৱসমূহ, পৃঃ ৩-৪।
[১৬] সদৌ অসম চুতীয়া সন্মিলন ঃ অনুন্নত সম্প্ৰদায় আয়োগলৈ দিয়া স্মাৰকপত্ৰ, ১৯৫৩, পৃ-৪
[১৭] সদৌ অসম চুতীয়া সন্মিলন, ১৯৭৪ চনৰ চাৰিং অধিবেশনৰ কাৰ্যবিৱৰণী, পৃঃ ৮।



পৰিবৰ্তন নহ'ল। কুৰি শতিকাৰ অন্তিম দশকৰ আৰম্ভণি মুহূৰ্তত যুগুতোৱা এক সমীক্ষাত ইতিহাসবিদ ড° স্বৰ্ণলতা বৰুৱাই ক'লে - 'In the field of education also, the Chutias are very backward. It is noted in the Report of the Census of India, 1901, that 'The position of the Chutias in society is a low one and education has made little progress among them'. In the absence of a proper survey, however, the percentage of literacy cannot be ascertained.'[১৮]

এতেকে কুৰি শতিকাৰ প্ৰায় অন্তিম পৰ্যায় পৰ্যন্ত চুতীয়াসকলৰ শৈক্ষিক অগ্ৰগতিৰ এই নিৰাশাজনক চিত্ৰখনে তেওঁলোকক আত্মচেতনা জাগৰণৰ অন্য প্ৰধান কাৰক হৈ পৰিল।

**নিয়োজন ঃ অৰ্থনৈতিক কাৰক ঃ**

কেৱল শিক্ষা-দীক্ষাৰ দিশতে নহয়, চাকৰি-বাকৰিকে ধৰি অৰ্থনৈতিক দিশত অনগ্ৰসৰত আৰু এক বঞ্চনাবোধেও চুতীয়াসকলৰ মাজত এক আত্ম-চেতনাৰ উন্মেষলৈ বৰঙণি যোগাইছিল। আনহাতে চুতীয়াসকলে দাবী কৰে যে নিয়োজনৰ ক্ষেত্ৰত তেওঁলোকে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে। মন কৰিবলগীয় যে চুতীয়া সন্মিলনৰ ১৯৩০ চনৰ চতুৰ্থ অধিবেশনৰ কাৰ্য বিৱৰণীত পোৱা যায় যে এই সম্প্ৰদায়ৰ উপযুক্ত লোকক চৰকাৰী চাকৰিত সুবিধা দিবৰ নিমিত্তে গভৰ্ণমেণ্টক বিবেচনা কৰিবলৈ জনোৱা হৈছিল। তাৰ উত্তৰত গভৰ্ণমেণ্টৰ পৰা এই সমিধান পোৱা হ'ল যে হিন্দুৰ ভিতৰত বিভাগ কৰি তেনে বিবেচনা কৰিব পৰা নহয়।'[১৯] ১৯৪৬ চনৰ স্মাৰকপত্ৰতে সেয়েহে চুতীয়া সন্মিলনে কৈছিল - 'Far more agonizing is the fact that the Chutias in such a pitiable state are not represented even in a small measure in Govt. services. A few clerks, a few S.I.S. of police are all they have. In other branches, namely the Assam Civil Service, the Assam Junior Civil Service, Assam Educational and School Service, Excise, Medical, Agriculture etc. there is none from the community.'[২০]

ওপৰত কৈ অহা ১৯৪৬ চনৰ পৰিস্থিতিক হয়তো পৰাধীন যুগৰ অনিবাৰ্যতা বুলি কৈ উৰুৱাই দিব পৰা যায়, কিন্তু স্বাধীনতাৰ প্ৰায় দুই দশক পিছত, ১৯৬৪ চনত অনুষ্ঠিত চুতীয়া সন্মিলনৰ ত্ৰয়োদশ অধিবেশনতো নিম্নোক্ত দাবী উত্থাপিত হোৱালৈ চাই বুজিব পাৰি স্বাধীনতাৰ ১৮ টা বছৰে তেওঁলোকৰ অৰ্থনৈতিক পৰিস্থিতিৰ কোনো

[১৮] Dr. Swarnalara Baruah : A Brief History of the Chutias Containing an Idea of the Trends of their Population Growth; স্মৃতিগ্ৰন্থ, সাধনীদিৱস, গুৱাহাটী, ১৯৯৩, পৃ ঃ ৩১।
[১৯] আসাম চুতীয়া সন্মিলন, চতুৰ্থ অধিবেশন, বানমুখ,১৯৩০, পৃঃ ৩৫।
[২০] **Memorandum on the Demands of the Chutias of Assam as a Backward Minority,** 1946, p.8

পৰিৱৰ্তন সাধন নহ'ল। তেওঁলোকে প্ৰস্তাৱ ললে যে - 'অন্যান্য পিছপৰা সম্প্ৰদায়সমূহৰ ভিতৰত চুতীয়াসকল শিক্ষা-সংস্কৃতি,অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো বিষয়তে বেছি পিচপৰা। গতিকে জাতীয় চৰকাৰে অন্যান্য পিচপৰা সম্প্ৰদায়লৈ আগবঢ়োৱা আছুতীয়া সুবিধাবিলাক চুতীয়া সকলেও যাতে সংখ্যা অনুপাতে আৰু আশানুৰূপ ভাৱে উপভোগ কৰিব পাৰে, তাৰ সুব্যৱস্থা কৰিবলৈ চৰকাৰক টানি অনুৰোধ জনায়।[২১] তাৰ চাৰি বছৰ পাছত চুতীয়া সম্প্ৰদায়ৰ বাবে কিছু সংখ্যক চাকৰি আচুতীয়াকৈ ৰাখিবলৈ আৰু ACS আদি প্ৰতিযোগিতামূলক পৰীক্ষা আৰু অন্যান্য নিয়োগৰ ক্ষেত্ৰত চুতীয়া জাতিৰ প্ৰাৰ্থীৰ কাৰণে বয়সৰ উৰ্দ্ধতন সীমা পাঁচবছৰ ৰেহাই দিবলৈ দাবী কৰা হয়। IAS, IPS আদি সৰ্বভাৰতীয় প্ৰতিযোগিতাতো চুতীয়া সম্প্ৰদায়ৰ প্ৰাৰ্থীক পাঁচবছৰ বয়সৰ সীমাৰ ৰেহাই দিয়াৰ দাবী উঠে'।[২২]

উক্ত পীড়াকটা অধিবেশনৰ আৰু চাৰি বছৰ পিছত ১৯৭৪ চনতো পৰিস্থিতিৰ বিশেষ পৰিৱৰ্তন পৰিলক্ষিত নহ'ল। উক্ত চনত অনুষ্ঠিত চাৰিং অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি কমল চন্দ্ৰ চুতীয়াই অভিভাষণত দিয়া তথ্যমতে বৰ্তমানৰ শিৱসাগৰ জিলাত প্ৰায় ৫০,০০০ চুতীয়াৰ মাজৰ পৰা ৮১ জন মণ্ডল কাননগোৰ মাজৰ এজন, ৭০ জন অভাৰচিয়াৰৰ এজন, ৪০ জন সমবায় বিষয়াৰ এজন, ৩ জন পুলিচ বিষয়াৰ এজন, ১৫০ জন ৩ য় শ্ৰেণীৰ চাকৰিয়ালৰ ভিতৰত মাত্ৰ ৪ জনহে আছিল।[২৩]

কুৰি শতিকাৰ শেহলৈকে চাকৰি-বাকৰিৰ ক্ষেত্ৰত অব্যাহত থকা নিৰাশাজনক পৰিস্থিতিৰ পুনৰ প্ৰমাণ পাওঁ ড° স্বৰ্ণলতা বৰুৱাৰ এই কেইষাৰ কথাৰ পৰা - 'Persons holding top offices from the Chutia Community are few and far between. It is to be noted that there is not a single officer of IAS or IPS cadre from amongst them till date. Persons having higher education are very few.. For instance,there are only three teachers of this community in the Dibrugarh University and only one in the Gauhati University. Industrialists are hardly to be found among them'.[২৪]

দশকৰ পিছত দশক জুৰি, শতিকা অতিক্ৰমি অব্যাহত থকা চাকৰি-বাকৰি জনিত এই বঞ্চনাই এহাতেদি চুতীয়াসকলৰ মাজত মধ্যশ্ৰেণীৰ বিকাশ মন্থৰ কৰি পেলালে, আনহাতে যি দুৰ্বল মধ্য শ্ৰেণীৰ বিকাশ হ'ল তাকো বিক্ষুব্ধ আৰু অশান্ত কৰি তুলিলে। সেই দুৰ্বল মধ্যশ্ৰেণীয়ে এক আত্ম চেতনাৰ আধাৰত গঢ়ি তুলিবলৈ ল'লে নিজা সংগঠন,

[২১] সদৌ অসম চুতীয়া সন্মিলন ঃ হাৰাজান ১৯৬৪ ৰ কাৰ্যবিৱৰণী, পৃঃ ৬।

[২২] ড° দুৰ্গেশ্বৰ বৰা, ঘনশ্যাম নেওগৰ প্ৰস্তাৱ ঃ সদৌ অসম চুতীয়া সন্মিলন, পীড়াকটা, ১৯৬৮, পৃঃ ২১।

[২৩] কমল চন্দ্ৰ চুতীয়া, অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, পৃঃ ৫।

[২৪] S.L. Baruah, 'A Brief History of the Chutias Containing an Idea of Trends in their Population Growth'; স্মৃতিগ্ৰন্থ, সাধনী দিৱস।



নিজা আন্দোলন, নিজা ইতিহাস, নিজা পৰিচয়। পশ্চিমীয়া পুঁজিবাদী দেশৰ ঔদ্যোগিক বিকাশৰ বিপৰীতে ঔপনিৱেশিকতাৰ পঁয়ালগা পৰিৱেশত চৰকাৰী চাকৰিৰ বাদে মধ্য শ্ৰেণীৰ বেলেগ বিশেষ সপোনো নাছিল।

**ৰাজনৈতিক ক্ষমতাৰ পৰা বিতাড়িত, বঞ্চিত ঃ**

কোচ, কছাৰী, আহোম, চুতীয়াকে ধৰি অসমৰ ভালেকেইটা সম্প্ৰদায়ৰে এসময়ত নিজা ৰাজ্য আছিল। মন কৰিবলগীয়া যে উক্ত চাৰিটা ৰাজবংশৰ ভিতৰত তিনিটাৰ পৰাই একোজনকৈ হ'লেও ব্যক্তিয়ে স্বাধীনতাৰ পিছত মুখ্যমন্ত্ৰীৰ আসন শুৱনি কৰে। উদাহৰণস্বৰূপে কোচ ৰাজবংশীসকলৰ পৰা বিষ্ণুৰাম মেধি আৰু শৰৎ চন্দ্ৰ সিংহ, আহোমসকলৰ পৰা কেশৱ চন্দ্ৰ গগৈ, হিতেশ্বৰ শইকীয়া, তৰুণ গগৈ মুখ্যমন্ত্ৰী হোৱাৰ উপৰিও জনজাতি (কছাৰী) সকলৰ মাজৰ পৰা যোগেন্দ্ৰ নাথ হাজৰিকায়ো কম সময়ৰ কাৰণে হ'লেও মুখ্যমন্ত্ৰী আসনত বহে। কিন্তু অসমৰ চতুৰ্থটো ৰাজবংশী সম্প্ৰদায়ৰ চুতীয়াসকলৰ বাবে সি আকাশ কুসুম কল্পনা হৈ ৰয়। সম্প্ৰদায়টোৰ পৰা স্বাধীনতাৰ পিছৰ ছটা দশকত আজিলৈকে কোনো লোকসভাৰ সদস্য হোৱা নাই বুলি জনা যায়। আনহাতে ছেদেলি-ভেদেলিকৈ অসমৰ বিভিন্ন ঠাইত বাস কৰা বা বাস কৰিবলৈ বাধ্য হোৱা চুতীয়াসকলৰ বাবে আন কেতবোৰ জনগোষ্ঠীৰ দৰে স্বায়ত্ত শাসন দাবী কৰাৰো উপায় নাই। এনে এক অসহায়, আশাবিহীন পৰিস্থিতিত ধুমায়িত বিক্ষোভে আত্ম চেতনাৰ ৰূপ লৈছে।

মন কৰিব লগীয়া যে জন্মলগ্নৰে পৰা ১৯৪৬ চনলৈকে সন্মিলন ৰাজনীতিৰ পৰা বিৰত আছিল। তেওঁলোকৰ নিয়ামৱলীৰ উদ্দেশ্যৰ দ্বিতীয় দফাত 'এই সন্মিলনিয়ে ৰাজনীতিৰ বিষয়ে আন্দোলন নকৰে' বুলি স্পষ্ট উল্লেখ কৰিছে। যি কি নহওক স্বাধীনতা আন্দোলনৰ প্ৰৱল জন-জোৱাৰে চুতীয়া সন্মিলনকো আলোড়িত কৰিছিল তাৰ ফলত ১৯৪৮ চনত পুনৰ সংশোধিত নিয়মাৱলীখনত ৰাজনৈতিক কাৰ্যসূচীৰ দফাটোৰ বিলোপ সাধন হয়।[২৫] স্বাধীনতা আন্দোলনৰ ধামখুমীয়াৰ মাজতে ১৯৪৬ চনৰ অধিবেশনতে সুস্পষ্ট ৰাজনৈতিক দাবী উঠিবলৈ আৰম্ভ কৰিছিল। উক্ত অধিবেশনৰ তৃতীয় প্ৰস্তাৱত কোৱা হৈছিল - 'ঐতিহাসিক আৰু সামাজিক ভিত্তিত অতীতৰ ৰাজশক্তি সম্পন্ন চুতীয়া জাতি অসমৰ এটা স্বতন্ত্ৰ সম্প্ৰদায়। এই জাতি অধঃপতনৰ চৰম অৱস্থাত পৰাত যি ধৰণেৰে ইয়াৰ অস্তিত্ব লোপ পাবৰ উপক্ৰম হৈছে সেই গুৰুতৰ অৱস্থালৈ লক্ষ্য ৰাখি আজিৰ সভাই গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰে। দেশত নিজ অস্তিত্ব ৰক্ষা কৰি জাতি হিচাপে সসন্মানে জীয়াই থাকিবলৈ চুতীয়া জাতিৰ সম্পূৰ্ণ অধিকাৰ আছে বুলি আজিৰ সভাই বিবেচনা কৰে। যিহেতু চুতীয়া জাতিয়ে নিজ শক্তিৰে অন্যান্য উন্নত সম্প্ৰদায়সমূহৰ

[২৫] সদৌ অসম চুতীয়া সন্মিলনঃ নিয়মাৱলী, ৰহমৰীয়া, ১৯৪৮।

লগত প্ৰতিদ্বন্দ্বিতা কৰি শাসন পৰিষদৰ আসন লাভ কৰিবৰ অক্ষম, সেই কাৰণে আগন্তুক ভাৰত শাসন তন্ত্ৰত এই সম্প্ৰদায়ৰ কাৰণে লোকসংখ্যা অনুপাতে আৰু পিছপৰা হিচাপে ওপৰঞ্চি সুবিধা অনুযায়ী যুটীয়া নিৰ্বাচন পদ্ধতিত ন্যায্য আসন সংৰক্ষণ আৰু অন্যান্য সা-সুবিধা আদিৰ বিহিত ব্যৱস্থা কৰিবলৈ প্ৰাদেশিক আৰু কেন্দ্ৰীয় গভৰ্ণমেণ্টক আজিৰ সভাই টানি অনুৰোধ কৰে।'[26] ইমানতে সন্তুষ্ট নহৈ চুতীয়াসকলে তেওঁলোকৰ মাজৰ পৰা সেই সময়ৰ শাসন পৰিষদৰ (ব্যৱস্থাপক সভা) একমাত্ৰ প্ৰতিনিধি দণ্ডেশ্বৰ হাজৰিকাক, আগন্তুক ভাৰতীয় গণ পৰিষদতে (Constituent Assembly) চুতীয়া সম্প্ৰদায়ৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সুবিধা বিচাৰিছিল।[27] কিন্তু স্বাধীন ভাৰতৰ প্ৰথম নিৰ্বাচনত (১৯৫২) এইজন দণ্ডেশ্বৰ হাজৰিকাক চুতীয়া সন্মিলন আৰু সদৌ অসম চুতীয়া ছাত্ৰ সন্মিলনৰ প্ৰবল হেঁচাতহে কংগ্ৰেছে মনোনয়ন দিবলৈ বাধ্য হৈছিল বুলিও তথ্য পোৱা যায়।'[28]

ইয়াৰ পৰা দেখা যায় যে ড° আম্বেদকাৰে দাবী কৰা পৃথক নিৰ্বাচকমণ্ডলীৰ বিপৰীতে চুতীয়া সকলে যুটীয়া নিৰ্বাচকমণ্ডলী (Joint electorate instead of separate electorate) বিচাৰিছিল আৰু তাতোকৈ তাৎপৰ্যপূৰ্ণ ভাৱে অনাগত স্বাধীন ভাৰতৰ সংবিধান সভাতো নিজা প্ৰতিনিধি বিচাৰিছিল, যি সংবিধান প্ৰণয়নতো মাত লগাব পাৰে। এনেকৈয়ে বঞ্চনাৰ বিৰুদ্ধে ৰাজনৈতিক অধিকাৰ বিচৰাৰ মাধ্যমেৰে গঢ় লৈছিল চুতীয়াসকলৰ আত্ম-চেতনা। কিন্তু সেই দাবী সুদীৰ্ঘ চাৰিদশকৰ পিছতো পূৰণ হোৱাৰ কোনো প্ৰমাণ পোৱা নগ'ল। সেয়েহে ৰাজনৈতিক ক্ষমতাৰ পৰা বিতাড়িত-বঞ্চিত জনগোষ্ঠীটোৱে নিজৰ প্ৰাপ্য আদায়ৰ বাবেই গোষ্ঠীগত চেতনাৰ আশ্ৰয় লয়।

অসমৰ আন বহু নিপীড়িত জনগোষ্ঠীৰ দৰেই চুতীয়া সকলেও বিশিষ্ট বুদ্ধিজীৱীসকলৰ বিদ্বেষ অথবা অৱহেলা-অৱমাননাত আঘাত অনুভৱ কৰে। উদাহৰণস্বৰূপে চুতীয়া সন্মিলনৰ চতুৰ্দশ অধিবেশনতে ত্ৰৈলোক্য লেখাৰুৰ দ্বাৰা প্ৰস্তাৱিত আৰু জীতেন চুতীয়াৰ দ্বাৰা সমৰ্থিত পঞ্চম প্ৰস্তাৱত কোৱা হয় - 'ডক্টৰ লক্ষ্মী দেৱীৰ দ্বাৰা প্ৰণীত অষ্টম মানৰ পৰা একাদশ শ্ৰেণীৰ পাঠ্য অসম বুৰঞ্জীৰ ২০২ পৃষ্ঠাত বুৰঞ্জী প্ৰসিদ্ধ ৰাজবংশী খিলঞ্জীয়া চুতীয়া আৰু মিৰি জাতিক তুচ্ছাৰ্থব্যঞ্জক 'বোৰ', 'হঁত' আদি শব্দ ব্যৱহাৰ কৰি সমগ্ৰ চুতীয়া আৰু মিৰি জাতিক হেয় প্ৰতিপন্ন তথা অপমানিত কৰাত আজিৰ সদৌ অসম চুতীয়া সন্মিলনে গভীৰ দুখ, ক্ষোভ প্ৰকাশ কৰি পৰবৰ্তী সংস্কৰণত ইয়াৰ সংশোধনৰ দাবী জনায়।'[29] ইয়াৰ আগতেও দ্বিতীয় অধিবেশনৰে (১৯২৭) এটা প্ৰস্তাৱত হিতেশ্বৰ বৰবৰুৱাই '**মিলন**'ত প্ৰকাশিত 'অসম' নামৰ কবিতাত ৰুক্মিণীক মিৰি

[26] সদৌ অসম চুতীয়া সন্মিলনঃ **মৰাণ অধিবেশনৰ গৃহীত প্ৰস্তাৱসমূহ**, ১৯৪৬, পৃ ২।

[27] ঐ।

[28] কুল চুতীয়া ঃ **চুতীয়া সন্মিলনৰ চমু ইতিবৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী**, কমাৰবন্ধা অধিবেশনৰ স্মৃতিগ্ৰন্থ, পৃ ৩৩।

[29] সদৌ অসম চুতীয়া সন্মিলন ঃ চতুদৰ্শ অধিবেশনৰ কাৰ্যবিৱৰণী, পৃঃ ১৮।



জীয়ৰী বোলাত চুতীয়া সন্মিলনৰ প্ৰতিবাদ প্ৰকাশ পাইছিল।[30] এনেবোৰ স্পৰ্শকাতৰ বিষয়াত প্ৰতিবাদৰ পৰাই চুতীয়াসকলৰ বৰ্দ্ধিত আত্ম চেতনাৰ উমান পোৱা যায়।

কিন্তু ব্যক্তিগত বুদ্ধিজীৱীসকলৰ এনে স্থিতিতকৈয়ো অসম সাহিত্য সভাৰ দৰে অসমৰ মুলসুঁতিৰ জাতীয়তাবাদী অনুষ্ঠানৰ বিৰুদ্ধেহে চুতীয়াসকলৰ অধিক বিক্ষোভ পুঞ্জীভূত হৈ থকাৰ প্ৰমাণ পোৱা যায়। উদাহৰণস্বৰূপে চুতীয়া সন্মিলনৰ ১৯২৭ চনৰ দ্বিতীয় অধিবেশনৰ দুটা প্ৰস্তাৱত অসম সাহিত্য সভাৰ পৰা গভীৰ প্ৰত্যাশাৰে কোৱা হৈছিল -

'চতুৰ্থ প্ৰস্তাৱ ঃ মান ভগনৰ দিনত বহুত চুতীয়া মানুহ গৈ আসাম উপত্যকাৰ বাহিৰে আন ঠাইত বসতি কৰি থকাৰ বাতৰি পোৱা গৈছে। সেই মানুহবিলাকৰ অসমীয়া ভাষা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ ক্ৰমান্বয়ে লোপ পাই গৈছে। যাতে সেই মানুহ বিলাক সকলো বিষয়তে সম্পূৰ্ণ অসমীয়া হৈ থাকিব পাৰে তাৰ বাবে চেষ্টা কৰিবলৈ আসাম চুতীয়া সন্মিলনৰ বৰ্তমান অৱস্থা টনকিয়াল নোহোৱা গতিকে আজিৰ সন্মিলনে আসাম সাহিত্য সভাক সেই কাম হাতত ল'বলৈ অনুৰোধ কৰে।

পঞ্চম প্ৰস্তাৱ ঃ চুতীয়া জাতি বুজোৱা 'চুতীয়া' শব্দটো বৰ্তমানলৈকে অসমীয়া ভাষাত 'চুটীয়া' এইদৰে লিখা চলি আহিব লাগিছে। এই সন্মিলনীত বিবেচনা কৰি স্থিৰ কৰা মতে সেই শব্দটো 'চুতীয়া', এইদৰে অসমীয়া ভাষা আৰু অভিধানত প্ৰচলন হ'বৰ কাৰণে আসাম সাহিত্য সভা আৰু সাহিত্যিকসকলক আজিৰ সন্মিলনে অনুৰোধ জনায়।'

চুতীয়া ৰাইজে অসম সাহিত্য সভাৰ পৰা কৰা এই পৰম প্ৰত্যাশা পূৰণ হ'লনে নাই জনা যাব, কিন্তু তাৰ আগতে উক্ত অধিবেশনৰে ষষ্ঠ প্ৰস্তাৱ পঢ়ি চক্ খাবলগীয়া হয়। যথা - 'শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই ধুবুৰীত বহা নৱম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত চুতীয়া জাতিৰ প্ৰতি যি হেয় ভাৱ প্ৰকাশ কৰিছে, তাত আচৰিত হৈ এই সন্মিলনে দোৰ্ঘোৰ প্ৰতিবাদ জনাইছে।'[31]

আগতে কৈ অহা দ্বিতীয় অধিবেশনৰ অসম সাহিত্য সভাৰ প্ৰতি যি সৰল মিনতি আৰু অভিধানত চুতীয়াসকলৰ সম্পৰ্কে শুদ্ধকৈ উল্লেখ কৰিবৰ বাবে যি সনিৰ্বন্ধ অনুৰোধ, তাৰ সঁহাৰি অসম সাহিত্য সভাই কেনেকৈ দিলে চুতীয়া সন্মিলনৰ (১৯৪৬) তলৰ প্ৰস্তাৱটোৰ পৰাই বাৰুকৈ বুজা যায়।

'১৩শ প্ৰস্তাৱ ঃ হেমকোষ আৰু অসম সাহিত্য সভাৰ দ্বাৰা সংকলিত চন্দ্ৰকান্ত অভিধানত চুতীয়া কোচ কছাৰী শব্দৰ অৰ্থ লিখোঁতে সিহঁত আদি তুচ্চাৰ্থ সৰ্বনাম প্ৰয়োগ কৰি সু প্ৰসিদ্ধ অসমৰ ৰাজ পৰিয়াল বিলাকক ঈৰ্ষামূলক ভাৱে আক্ৰমণ কৰাৰ উপৰিও সু বৃহৎ অসমীয়া জাতি সংগঠনত যথেষ্ট অন্যায় কৰিছে। সেই কাৰণে সেইবিলাক কথাৰ

[30] আসাম চুতীয়া সন্মিলন ঃ দ্বিতীয় অধিবেশনৰ বিৱৰণী, পৃঃ ৪।

[31] ঐ, পৃঃ ৩-৪।

যথা বিহিত সংশোধনৰ কাৰণে আজিৰ সভাই অসম সাহিত্য সভাৰ ওচৰত দাবী জনায়।'[৩২]

মন কৰিবলগীয়া যে ১৯২৭ চনৰ পৰম প্ৰত্যাশাৰ সুদীৰ্ঘ দুই দশকৰ পিছৰ প্ৰস্তাৱটোত ফুটি উঠিছে বিক্ষোভ আৰু অসন্তুষ্টিৰ তীব্ৰতা। তাৰ পিছত আৰু সুদীৰ্ঘ ২৬ বছৰ কাটি যোৱাৰ পিছত, ১৯৭২ চনৰ অধিবেশনত প্ৰদত্ত সভাপতিৰ অভিভাষণৰ পৰা অনুমান কৰাত অসুবিধা নহয় যে অসম সাহিত্য সভাৰ দৰে 'জাতীয়' অনুষ্ঠানে উক্ত প্ৰায় পাঁচ দশকৰ সময়ছোৱাত অন্ততঃ চুতীয়াসকলৰ সেই অনুৰোধ, কাকুতি-মিনতিৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নাছিল। সেয়ে আমি গোলোক চন্দ্ৰ বড়াৰ সভাপতিৰ অভিভাষণত পঢ়িবলৈ পাওঁ - 'পৰিতাপৰ কথা যে অসমীয়া জাতিৰ একমাত্ৰ প্ৰতিনিধিত্বমূলক অনুষ্ঠান অসম সাহিত্য সভাই চুতীয়া জাতিৰ পৌৰাণিক তথ্য সমূহৰ উদ্ধাৰ আদি কাৰ্যত বিশেষ একো ভূমিকা লোৱা নাই। অৱশ্যে চুতীয়া জাতি কোনো দিন বিলুপ্ত হ'লেও অসমীয়া জাতিৰ একো ক্ষতি হোৱাৰ আশংকা নাথাকে- কাৰণ চুতীয়াসকল তেতিয়া অন্যান্য সম্প্ৰদায়ৰ লগত জাপ গৈ অসমীয়াৰ জনসংখ্যা অটুত ৰখাব।' মাত্ৰ চুতীয়াসকলৰহে অপূৰণীয় ক্ষতি হ'ব- চুতীয়াসকল হয়তো মিউজিয়ামৰ উপভোগ্য বস্তু হৈ থাকিব। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ আৰু অন্যান্য জাতীয় অনুষ্ঠান সমূহে এই বিষয়ে যাতে দৃষ্টিপাত কৰে তাৰ বাবে তেখেতসকলৰ সজাগ দৃষ্টি আকৰ্ষণ কৰা হ'ল।'[৩৩]

অসম সাহিত্য সভাৰ দৰে 'জাতীয়' অনুষ্ঠান সমূহৰ এনে অৱহেলা-অৱমাননাৰ দৃষ্টিভংগী ইতিবাচক নহয়, নেতিবাচক দিশৰ পৰা চুতীয়াসকলৰ আত্ম-চেতনাৰ বিকাশত এনেকৈয়ে বৰঙণি যোগালে।

১৫২৪ চনৰ ঐতিহাসিক পৰাজয়ৰ পিছতে আহোমসকলে চুতীয়াসকলক ৰাজ্যৰ বিভিন্ন প্ৰান্তত ছেদেলি ভেদেলি কৰি দিলে যাতে তেওঁলোকে একত্ৰিত হৈ বিদ্ৰোহ কৰি পুনৰ ক্ষমতা দখল কৰিব নোৱাৰে। কিন্তু মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ সময়ত ইয়াতোকৈ ডাঙৰ বিপৰ্যয় ঘটিল। অসমীয়া সম্প্ৰদায় সমূহৰ ভিতৰত চুতীয়াসকলৰ পৰাই ভালে সংখ্যক লোক বৰ্তমানৰ বৰাক উপত্যকা, মেঘালয় আৰু বাংলাদেশলৈ পলাই যাব লগা হ'ল। আনহাতে আন বহুসংখ্যক লোকক মানে ধৰি নিয়া বুলি আশংকা কৰা হয়। নগাপাহাৰ আদিতো বহু চুতীয়া লোকে পলাই গৈ আশ্ৰয় লোৱা বুলি জন বিশ্বাস আছে।

এই উপৰ্যুপৰি বিভাজন আৰু বিক্ষিপ্ততাই চুতীয়া জনগোষ্ঠীগত মননত প্ৰৱল প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে অসম চুতীয়া সন্মিলনৰ তৃতীয় অধিবেশনৰ আদৰণী সভাৰ সভাপতিৰ অভিভাষণত কোৱা হয় - 'আমাৰ প্ৰথম উদ্দেশ্য এই যে আমাৰ জাতীয় ভাইসকলে আজি প্ৰায় ১৫২৩ চনৰ পৰা এই ছশ

[৩২] সদৌ অসম চুতীয়া সন্মিলন ঃ **মৰাণ অধিবেশনত গৃহীত প্ৰস্তাৱসমূহ,** (১৯৪৬), পৃঃ ৭।

[৩৩] সদৌ অসম চুতীয়া সন্মিলন, সপ্তদশ বাৰ্ষিক অধিবেশনঃ **সভাপতিৰ অভিভাষণ,** ১৯৭২, পৃঃ ৮।



বছৰ কাল নানা উপদ্ৰৱত পৰি ঠান্ ঠান্ হৈ দেখা-দেখি হ'বলৈ পোৱা নাই। মানৰ অত্যাচাৰত অনেকবোৰ জাতিৰ লোক পৰ্বতে পাহাৰে সোমালগৈ; কিন্তু এতিয়া ইংৰাজ বাহাদুৰৰ বিজুলী চাকিৰ পোহৰত সেই ভগনীয়া জাতিৰ ভাইসকলক ঠায়ে ঠায়ে খেপিয়াই পোৱা গৈছে। সেইবিলাক কাছাৰ, মণিপুৰ, খাছিয়া পাহাৰ আৰু ব্ৰহ্মদেশতো আছে বুলি প্ৰমাণ হৈছে। তেতিয়াৰে পৰা আমাৰ জাতি ভাইহঁতে চিন চাব হেৰুৱাই আজি সকলোৰে গৰিহণা খাই ফুৰিছোহঁক। কিন্তু এতিয়া ঈশ্বৰে আমাক কৃপাদৃষ্টি কৰিছে। আৰু আমাৰো শুভদিন উপস্থিত হৈছে বুলি অনুভৱ কৰিব পাৰোঁ। আমাৰ হেৰোৱা ভাই বন্ধুক আকৌ বিচাৰি পাম বুলি আশা কৰিলোঁ। হে মোৰ জাতিবৰ্গসকল! আপোনাসকলে ইমান দিন অমাৱস্যা ৰাতিৰ ঘোৰ অন্ধকাৰত সোমাই থাকি আজি সেই দুৰ্গম আন্ধাৰৰ পৰা ওলাই আহি নিৰাশ, লেৰেলা, শেতাপৰা মুখক আজি সতেজ কৰিছে। যদিও আমি পৃথক পৃথক খেলৰ মানুহ, অথচ আমি জাতিত একে, তথাপি আমি আজি সকলো মিলি ডিঙিত ধৰাধৰি কৰি আনন্দ প্ৰকাশ কৰোঁ আহক।'[৩৪]

বিক্ষিপ্ত আৰু বিভাজন জনিত বেদনা আৰু তৰ্জনিত চেতনাই চুতীয়াসকলক আৱেগিক কৰি ৰখাৰ আৰু বহু প্ৰমাণ পোৱা যায়। উদাহৰণস্বৰূপে সদৌ অসম চুতীয়া সন্মিলনৰ (১৯৪৮) ডিব্ৰুগড়ত অনুষ্ঠিত সভাত ছপা নিয়মাৱলীত লিখা আছে যে তলত নাম উল্লেখ কৰা জিলা বিলাকক চুতীয়া সন্মিলনৰ অন্তৰ্ভুক্ত জিলা বুলি গণ্য কৰা হ'ব ঃ

'১। শদিয়া ২। ডিব্ৰুগড় ৩। উঃ লক্ষীমপুৰ ৪। শিৱসাগৰ ৫। যোৰহাট ৬। গোলাঘাট ৭। নগাঁও ৮। তেজপুৰ ৯। মঙলদৈ ১০। কামৰূপ ১১। চিলেট ১২। কাছাৰ ১৩। শ্বিলং পাহাৰ ১৪। গোৱালপাৰা।'[৩৫]

এই তালিকাৰ শেহৰ চাৰিটা নাম মন কৰিবলগীয়া। কাছাৰত চুতীয়া মানুহ থকাৰ কথা আজি কিছু দিন ধৰিহে জানিব পৰা গৈছে। শ্বিলঙত তেতিয়া চাকৰি সূত্ৰে কিছু চুতীয়া মানুহ থকাৰ উপৰিও (বৰ্তমান) মেঘালয়ৰ কেতবোৰ ঠাইত চুতীয়া মানুহ থকাৰ কথা কোৱা হয়। গোৱালপাৰাৰ কথা সিমান শুনা নাযায়। কিন্তু তালিকাখনৰ সবাতোকৈ আশ্চৰ্যকৰ সংযোজন হ'ল ১১নংত চিলেট। কাৰণ চিলেট যে কেৱল বৰ্তমানেই বাংলাদেশত, তেনে নহয়; ১৯৪৭ চনত দেশ বিভাজনৰ ফলত সি ইতিমধ্যেই পূব পাকিস্তানৰ অন্তৰ্গত হৈছিল। এতেকে ১৯৪৮ চনৰ বিভাজনৰ পিছত পূব পাকিস্তানৰ অন্তৰ্গত জিলা এখনক সদৌ অসম চুতীয়া সন্মিলনৰ অন্তৰ্গত কৰিব বিচৰাটোৱে প্ৰমাণ কৰে যে দেশ বিভাজনে আনি দিয়া আকস্মিক ৰাজনৈতিক ব্যৱধান সত্বেও এক আন্তৰ্জাতিক চুতীয়া ঐক্যৰ আবেগ অন্তঃ সলিলা ফল্গুৰ দৰে অনবৰত বৈ আছিল।

[৩৪] আসাম চুতীয়া সন্মিলন, তৃতীয় অধিবেশনঃ **সভাপতিৰ অভিভাষণ** আদি, ১৯২৯।

[৩৫] সদৌ অসম চুতীয়া সন্মিলনৰ **নিয়মাৱলী,**১৯৪৮, পৃঃ ৬।

চুতীয়া সন্মিলনৰ চতুৰ্দশ অধিবেশনতো (১৯৬৮) আন্তৰ্জাতিক আবেগিক ঐক্যই ক্ৰিয়া কৰিছিল। যোৰহাট জিলাৰ পীড়াকটাত অনুষ্ঠিত এই অধিবেশনৰ ছাত্ৰ সন্মিলনত 'পাকিস্তানৰ পৰা ভাগি ছাত্ৰী শ্ৰী চন্দ্ৰিকা মেধিয়ে আৱেগেৰে জ্ঞাতিসকলক সেই অঞ্চলৰ অৱস্থা বৰ্ণনা কৰে।' চন্দ্ৰিকা মেধি সদৌ অসম চুতীয়া ছাত্ৰ সন্মিলনৰ কাৰ্যকৰী সমিতিৰ সদস্যও নিৰ্বাচিত হয়।[৩৬] সেই অধিবেশনৰ মুকলি সভাত সমজুৱাৰ বক্তব্যত 'কাছাৰৰ প্ৰদীপ কুমাৰ হাজৰিকাই তাহানি মানসকলৰ সময়ত লুইতৰ পাৰৰ পৰা ভাগি গৈ বৰাকৰ পাৰত পোৱা অভিজ্ঞতাৰ কথা কয়।' কাছাৰৰ তাৰাপুৰৰ এইজন প্ৰদীপ কুমাৰ হাজৰিকাও সন্মিলনৰ কাৰ্যকৰী সমিতিৰ সদস্য নিৰ্বাচিত হয়। চন্দ্ৰিকা মেধি আৰু প্ৰদীপ কুমাৰ হাজৰিকাৰ বক্তব্যই অধিবেশনক নিশ্চয় বাৰুকৈ প্ৰভাৱান্বিত কৰিছিল। কাৰণ ইয়াৰ এটা প্ৰস্তাৱত কোৱা হয় '(১) মাটিহীন, দৰিদ্ৰ আৰু পাকিস্তানৰ পৰা ভাগি আহি নগাঁৱৰ লংকা আদি ঠাইত পুনৰ বসতি কৰিবলৈ লোৱা নিঠৰুৱা পৰিয়ালবৰ্গক সংস্থাপনৰ বাবে আৱশ্যকীয় পৰিমাণৰ মাটি আৰু আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।'[৩৭] সেই একে অধিবেশনৰ ৭(১) প্ৰস্তাৱযোগে কাছাৰত থকা মান ভগনীয়া চুতীয়াসকলৰ ওপৰত জমিদাৰৰ নিৰ্যাতন দূৰীকৰণৰ আৰু ৭(২) প্ৰস্তাৱযোগে কাছাৰ জিলাত থকা মান-ভগনীয়া চুতীয়াসকলৰ বাবে উচ্চ পৰ্যায়তো অসমীয়া ভাষা শিক্ষাৰ দাবী জনোৱা হয়। পৰবৰ্তী কালতো কাছাৰৰ চুতীয়া অসমীয়াসকলৰ প্ৰসংগটোৱে চুতীয়া সম্প্ৰদায় তথা সন্মিলনৰ চিন্তা চৰ্চাত অবিৰাম ক্ৰিয়া কৰি থকা দেখা যায়। উদাহৰণস্বৰূপে ১৯৮১ চনৰ কমাৰবন্ধা অধিবেশনৰ স্মৃতিগ্ৰন্থত কুল চুতীয়াৰ প্ৰবন্ধঃ 'চুতীয়া সন্মিলনৰ চমু ইতিবৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী', নীলিমা হাজৰিকাৰ প্ৰবন্ধ 'কাছাৰৰ খিলঞ্জীয়া অসমীয়া গাঁও তাৰাপুৰত এভুমুকি', **কুণ্ডিল**ৰ প্ৰথম সংখ্যাত (১৯৯৩) ভৰকান্ত চুতীয়াৰ 'আদৰকোনালৈ গৈছিলোঁ', **কুণ্ডিল**ৰ দ্বিতীয় সংখ্যাত (১৯৯৪) ব্ৰজনাথ বৰদলৈৰ 'অবিভক্ত নগাওঁ জিলাৰ চুতীয়া জাতি' গয়াৰাম চুতীয়াৰ 'বৰাক উপত্যকাত অসমীয়া গাঁও' আদি প্ৰকাশ পায়। এই শেহত উল্লেখিত প্ৰবন্ধটোত উক্ত চুতীয়াসকলক মান-ভগনীয়া বুলি কোৱাৰ পৰিবৰ্তে চুতীয়া ৰজাৰ দিনৰ সৈনিক বোলা হৈছে আৰু বাংলাদেশৰ জাপলুং বোলা চুতীয়া গাঁওখনৰো সন্ধান দিয়া হৈছে।

কুণ্ডিলৰ চতুৰ্থ সংখ্যাত (২০০০ চন) কথাশিল্পী ডিম্বেশ্বৰ দয়াল শৰ্মাই জনায় যে ১৯৬৪ চনতে তেওঁ কাছাৰৰ তাৰাপুৰ নামৰ চুতীয়া গাঁওখনত উপস্থিত হৈছিলগৈ যিখন গাঁৱৰ মানুহ তেতিয়াৰ পৰা ছয় পুৰুষ আগতে মানৰ আক্ৰমণত দক্ষিণ নগাঁৱৰ পৰা তালৈ ভাগি গৈছিল। আনহাতে সন্মিলনৰ আন এখন স্মৃতিগ্ৰন্থত দেৱী চুতীয়াই জনৈক গোলাপ চিপাহী ওৰফে গোলাপ চন্দ্ৰ শইকীয়াৰ উদ্যোগত উঠি আহি মৰাণৰ

[৩৬] সদৌ অসম চুতীয়া সন্মিলন ঃ **চতুৰ্দশ অধিবেশনৰ কাৰ্যবিৱৰণী**, ১৯৬৮, পৃঃ ৪,১২,১৭।
[৩৭] ঐ।



অঞ্চলৰ ডিবৈত 'কাকৰনী' নামৰ গাঁও পাতি বহা কাছাৰৰ তাৰাপুৰৰ চুতীয়া অসমীয়াসকলৰ যোগেদি কাছাৰলৈকে পম খেদিছে।[৩৮]

সেই একে বছৰতে সদৌ চুতীয়া জাতি সন্মিলনৰ সাধাৰণ সম্পাদক লক্ষীধৰ বড়াই তেওঁৰ দুবছৰীয়া (১৯৯২-৯৪) সাধাৰণ সম্পাদকৰ প্ৰতিবেদনত 'বৰাক উপত্যকাৰ জাতিসকলৰ লগত প্ৰত্যক্ষ যোগাযোগ স্থাপন আৰু সহযোগিতা লাভ'ক উক্ত দুবছৰীয়া কাৰ্যকালৰ বৃহত্তম সাফল্য বুলি বৰ্ণনা কৰিছে।[৩৯]

শেহতীয়াভাৱে এই সম্পৰ্কত ইছমাইল হুছেইন আৰু পূৰ্ণ বৰাৰ দ্বাৰা সংগৃহীত তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাহিৰত বৰাক উপত্যকা, মেঘালয়, ত্ৰিপুৰা আৰু বাংলা দেশত বহুতো চুতীয়া গাঁও আছে।[৪০]

**ব্ৰহ্মদেশ-ম্যানমাৰ ঃ**

ভাৰতৰ বাহিৰত ব্ৰহ্মদেশ বা ম্যানমাৰতো চুতীয়া গাঁও থকাৰ কথা জনা যায়।[৪১] .. ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাহিৰত, (লগতে একাংশ অসম তথা ভাৰতৰো বাহিৰত) থকা এই প্ৰায় ৫৭ খন গাঁৱৰ চুতীয়াসকলৰ স্মৃতি অথবা চেতনাই অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুতীয়াসকলৰ মানসপটত প্ৰায়ে ভিৰ কৰেহি। তেওঁলোকক ঐতিহাসিকভাৱে বিচ্ছিন্ন কৰি ৰখাৰ কথাটোৱে সৃষ্টি কৰে ক্ষোভৰ, ক্ৰোধৰ।

কুৰি শতিকাৰ শেহলৈকে আন্তৰ্জাতিকভাৱে (ভাৰত, বাংলাদেশ, ম্যানমাৰ) সিঁচৰতি হৈ থকা চুতীয়াসকলৰ প্ৰশ্নটোৱে যে চুতীয়া সংগঠন তথা সম্প্ৰদায়ৰ মনোজগত আচ্ছন্ন কৰি ৰাখিছিল তাৰ প্ৰমাণ পোৱা যায় ১৯৮৮ চনত ভাৰতৰ প্ৰধান মন্ত্ৰীক সদৌ চুতীয়া জাতি সন্মিলনৰ তৰফৰ পৰা দাখিল কৰা স্মাৰকপত্ৰৰ ২২ নং নিম্নোক্ত দফাটোত - '১৫২৩ চনত চুতীয়া ৰাজ্য আহোমসকলে দখল কৰাৰ পিছত চুতীয়া জাতিয়ে যাতে বিদ্ৰোহ কৰিব নোৱাৰে তাৰ বাবে তেওঁলোকক অসমৰ পাহাৰ ভৈয়ামৰ বিভিন্ন জেগাৰৈ সৰু সৰু ভাগত ভগাই বাধ্যতামূলকভাৱে স্থানান্তৰিত কৰে। চুতীয়া জাতিৰ জীৱনৰ এই অধ্যায় বৰ করুণ আৰু বেদনাদায়ক। ৰাজ্য হেৰোৱাৰ বিড়ম্বনা

[৩৮] গুণকান্ত চুতীয়া সম্পাদিত **স্মৃতিগ্ৰন্থ**, তিনিচুকীয়া অধিবেশন, ১৯৯৪।
[৩৯] লক্ষীধৰ বড়া ঃ **সাধাৰণ সম্পাদকৰ প্ৰতিবেদন**, ১৯৯৪, পৃ ৯।
[৪০] বৰাক উপত্যকাত থকা চুতীয়া গাঁওবোৰ হ'ল - বৰগোল, ভিতৰগোল, তাৰাপুৰ, কৈয়াজানী, চালিগ্ৰাম, সুদৰ্শনপুৰ, কোনাপুৰ, নাতুৰবন্ধ, গুমড়া, আদৰকোনা, বৰথম, বৰগোল, আলখাৰগোল, মাজেৰগোল, কচাৰীগাঁও, ঘিলাইজান, এংলাবজাৰ, ইলাম, মবাকদমা, দ্বাৰকাপুৰ; মেঘালয়ত থকা চুতীয়া গাঁওবোৰ হ'ল - ৰঙামাটি, ইচ্ছামাটি, বাঁহতলা; ত্ৰিপুৰাত থকা চুতীয়া গাঁওবোৰ হ'ল - কাঞ্চন, কয়লাচল; বাংলাদেশত থকা চুতীয়া গাঁওবোৰ হ'ল- ঘুনিৰবান, বৰিগাওঁ, জাপলুং, লাকৰ পাৰ, বৰভাগ, চৈলাচল, বগাই, তুৰুং, বিজয়পৰোৱা কানাইআগ, (ইছামতি), বৰহম, হিজপুৰ, বাৰপূজি, সাতপুলি, বৰহমপুৰ, জীৱনপুৰ, কৈজাম, বাতৰভাগ, কোনে পাৰ।
[৪১] বেথাৰাম দেউৰী ঃ *'দেউৰী চুতীয়াৰ অতীত আৰু বৰ্তমান'* সদৌ চুতীয়া জাতি সন্মিলন, ষষ্ঠবিংশতিতম্ অধিবেশন, মৰাণহাট, ১৯৯৭।

আৰু ৰাজনৈতিক তাড়নাৰ প্ৰক্ৰিয়া ব্ৰিটিছৰ দিনত, স্বাধীনতাৰ ৪১ বছৰ পিছতো একেভাগেই আছে। বহুতৰ মাজত থাকিও অকলে থকাৰ স্থিতি, সুদূৰ বাংলাদেশ পৰ্যন্ত এই জাতিৰ লোকৰ নিসংগ, বেদনাদায়ক বিসংগতি, আজিৰ দিনৰ গণতান্ত্ৰিক সুবিধা ভোগৰ বাবে কোনো কামত নহা সিঁচৰিত ভৌগলিক অৱস্থিতি এটা ঐতিহ্যমণ্ডিত জাতিৰ অৱক্ষয় আৰু আত্মবিলুপ্তিৰ এই প্ৰক্ৰিয়া নিতান্তই নেতিবাচক ; দেশৰ সকলোৰে বাবে ভয়ানক।'[৪২]

মন কৰিবলগীয়া যে চুতীয়াসকলৰ প্ৰথম সংগঠনৰ জন্ম হৈছিল ১৯২৫ চনত, অৰ্থাৎ ১৯২১ চনৰ অসহযোগ আন্দোলনৰ ঠিক পিছতে। চুতীয়া সন্মিলনৰ নেতৃবৃন্দৰ বহুতেই একে সময়তে কংগ্ৰেছ কৰ্মী বা স্বাধীনতা অন্ততঃ স্বাধীনতা আন্দোলনৰ সমৰ্থকো আছিল। কিন্তু তাৰ অৰ্থ এইটো নহয় যে চুতীয়া সন্মিলনে আৰম্ভণিৰ পৰাই সাংগঠনিকভাৱে স্বাধীনতা সংগ্ৰামৰ সমৰ্থন কৰি আহিছিল। বৰং আৰম্ভণিৰ ফালে চুতীয়া সন্মিলনে ৰজাঘৰৰ ফালেহে থিয় দিছিল। ১৯২৭ চনত ৰহাত নীলমণি ফুকনৰ সভাপতিত্বত বহা দ্বিতীয় অধিবেশনৰ প্ৰথম প্ৰস্তাৱটোৱেই আছিল -'এই সন্মিলনে আমাৰ গভৰ্ণমেণ্টক বিনীতভাৱে ৰাজভক্তি জ্ঞাপন কৰে।'[৪৩]

সেই অধিবেশনৰ কাৰ্যবিৱৰণীত কোৱা হৈছিল - 'এইহেন উদাৰ নীতিৰ ইংৰাজ ৰাজত্বত যি জাতিয়ে আজিও বিদ্যা শিকি বা আন কোনো প্ৰকাৰে উন্নতিৰ জখলাত উঠিব পৰা নাই সেই জাতি ধিক! সেই জাতি সংসাৰৰ কীট পতংগতকৈও অধম!'[৪৪]

কিন্তু ইংৰাজৰ উদাৰতাৰ ওপৰত এনে অগাধ বিশ্বাস ৰখা সময়তো চুতীয়াসকলৰ দেশপ্ৰেমৰ কোনো অভাৱ ঘটা নাছিল। বিদেশী বস্ত্ৰ বৰ্জন কৰি হাতেৰোৱা কাপোৰ পিন্ধাৰ প্ৰসংগত এই অধিবেশনত ভাং,কানি, চুৰট বৰ্জন কৰিবলৈ কোৱাৰ লগতে গোহাৰি জনোৱা হয় যে - 'ঘৰত সূতা কাটি কাপোৰ বৈ লোৱা আমাৰ দেশৰ নতুন কথা নহয়। আমাৰ দেশৰ পূৰ্বৰ প্ৰথামতে ঘৰে ঘৰে সূতা কাটি কাপোৰ তৈয়াৰ কৰি ল'ব পাৰিলে আমাৰ নিজৰহে উপকাৰ।'[৪৫]

চতুৰ্থ অধিবেশনৰ (১৯২৯) প্ৰথম প্ৰস্তাৱত দেখা যায় যে - 'বৰ্তমান ভাৰতব্যাপী ৰজাঘৰ আৰু প্ৰজা ঘৰৰ ভিতৰত যি অশান্তিৰ খলকনি উঠিছে সি সোনকালে নিৰ্বাপিতহৈ প্ৰজাৰ মনত আনন্দ দিবৰ নিমিত্তে আজিৰ সন্মিলনে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে।'[৪৬]

এই প্ৰস্তাৱত পূৰ্বৰ ব্ৰিটিছানুগত্যৰ বিপৰীতে মধ্যমপন্থাৰ প্ৰভাৱ পৰিস্ফুত। সংগঠনটোৰ মাজত স্বাধীনতা সংগ্ৰামৰ পক্ষে-বিপক্ষে পৰস্পৰ বিৰোধী ভাৱে থৌকি

[৪২] ড° দুৰ্গেশ্বৰ বৰা সম্পাদিত **জাগৰণ**, পৃঃ ২৫।
[৪৩] আসাম চুতীয়া সন্মিলন ঃ **দ্বিতীয় অধিবেশনৰ বিৱৰণ** (১৯২৭), পৃ ৩-৯।
[৬৪] ঐ।
[৪৫] আসাম চুতীয়া সন্মিলনৰ **তৃতীয় অধিবেশনৰ বিৱৰণ** (১৯২৯), পৃঃ ৬৬
[৪৬] আসাম চুতীয়া সন্মিলনৰ **চতুৰ্থ অধিবেশনৰ বিৱৰণ** (১৯৩০), পৃঃ ৪৪।



বাধৌ লগোৱাৰ উমান পোৱা যায় তলৰ বিৱৰণত - 'মাহামান্য ভাৰত সম্ৰাটৰ আৰোগ্যত আনন্দ প্ৰকাশ কৰা যি প্ৰস্তাৱ গভৰ্ণমেণ্টক জনোৱা হৈছিল, সেইবাবে সন্মিলনে শলাগ সমিধান পায়, বিদেশী কাপোৰ এৰি পুৰাতনীয়া প্ৰথা মতে ঘৰত সূতাকাটি কাপোৰ বৈ লোৱাৰ যি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল, সি কাৰ্যত কিবা সুফল ধৰিছিল বুলি কোনো প্ৰকাৰেই ক'ব নোৱাৰি। দেশব্যাপী এই ভাৱৰ, আন্দোলনৰ খলকনি নুঠিলে সাম্প্ৰদায়িক হিচাবে ইয়াক ফলৱতী কৰিব নোৱাৰা স্বাভাৱিক কথা।'[৪৭]

ষষ্ঠ অধিবেশনত (১৯৩৮) প্ৰথম বাৰৰ বাবে মুকলিকৈ চুতীয়া সন্মিলনক ভাৰতীয় জাতীয় কংগ্ৰেছৰ সমৰ্থক বুলি সভাপতিৰ অভিভাষণত ঘোষণা কৰা হয় - 'এই সম্প্ৰদায় কিছুমানক ভাৰতীয় জাতীয় মহাসভাৰ পৰা বিচ্ছিন্ন বুলি এক অৱজ্ঞা আৰু হীন দৃষ্টিৰে চোৱা হৈছে। অন্য সাম্প্ৰদায়িক অনুষ্ঠান হয়তো ভাৰতৰ জাতীয় মহাসভাৰ পৰা আঁতৰি থাকিব পাৰে কিন্তু অসমৰ এই চুতীয়া সন্মিলনৰ কৰ্ম পদ্ধতি সম্পূৰ্ণ কংগ্ৰেছ অনুগামী। চুতীয়া ৰাইজে কংগ্ৰেছক সমৰ্থন কৰিছে আৰু কংগ্ৰেছৰ নীতি মানি চলিছে। পুৰুষৰ কথা নকওঁ চুতীয়াৰ আইসকলেও স্বাধীনতা আন্দোলনত নিৰ্যাতন ভোগ কৰিছে আৰু দেশৰ বাবে কাৰাবৰণো কৰিছে। তাৰোপৰি ইয়াকো ক'ব লাগিব যে চুতীয়া সন্মিলন কংগ্ৰেছ নীতি অনুগামী নোহোৱা মানে আমি নিজকেহে জহৰা বুলি চিনাকি দিয়াৰ দৰে হ'ব। ভাৰতৰ জাতীয় জীৱনৰ ভৱিষ্যত কংগ্ৰেছেই কৰিব লগীয়া হৈছে, এনেস্থলত চুতীয়াসকলে যদি কংগ্ৰেছৰ পৰা পৃথক অনুষ্ঠানৰ সৃষ্টি কৰিবলৈ যায় আমাৰ নিজত্ব সম্পূৰ্ণ ছিন্ন হৈ যোৱাটো স্বাভাৱিক হৈ পৰিব। আমি জাতি হিচাবে ভাৰতীয়হে। এই সম্প্ৰদায় বিলাক জাতীয় বৃক্ষৰ শাখা মাত্ৰ। বৃক্ষৰ মূল ছেদন কৰিলে শাখাৰ যি অৱস্থা হ'ব, ঠিক সম্প্ৰদায়বিলাকেও জাতীয় সভাৰ মূলৰ পৰা পৃথক হৈ গ'লে তেনে অৱস্থাই হ'ব।'[৪৮]

ইয়াৰ পিছত ১৯৪৬ চনত অৰ্থাৎ স্বাধীনতাৰ ঠিক প্ৰাকমুহূৰ্তত চুতীয়া সন্মিলনে গ্ৰহণ কৰা এই প্ৰস্তাৱক স্বাধীনতাৰ বাবে প্ৰকাশ্য উদাত্ত আহ্বান বুলি ক'ব পাৰি -'পৃথিৱীৰ এক পঞ্চমাংশ ৪০ কোটি ভাৰত বাসীৰ সামাজিক, আৰ্থিক, ৰাজনৈতিক আদি ক্ষেত্ৰত পৰিপুষ্টি সাধনৰ বাবে বৈদেশিক শাসন আৰু শোষণৰ পৰা মুক্ত কৰি ভাৰতবাসীৰ জীৱন ধাৰণৰ মানদণ্ড উন্নয়ন কৰিবৰ কাৰণে আৰু আগত প্ৰলয়ংকৰ দুৰ্ভিক্ষৰ পৰা এই বিৰাট জনগণক ৰক্ষা কৰিবৰ নিমিত্তে কংগ্ৰেছ মহাসভাৰ ভাৰত ত্যাগ (Quit India) প্ৰস্তাৱ আজিৰ সভাই সমৰ্থন কৰে।'[৪৯]

'১৯২১ চনত স্বৰাজ আন্দোলনত অসমৰ গাঁৱে ভূঞে জুই জ্বলি উঠিছিল।

[৪৭] ঐ, পৃঃ ৩৪-৩৫।
[৪৮] অসম চুতীয়া সন্মিলনী ঃ **সভাপতিৰ ভাষণ,** ষষ্ঠ অধিবেশন (১৯৩৮), পৃঃ ১৭-৮।
[৪৯] সপ্তম অধিবেশনৰ কাৰ্যবিৱৰণী, ১৯৪৬।

পীড়াকটা অঞ্চলৰ সেই ৰায়ত সভাৰ সকলো সদস্যই চাৰি অনাকৈ বৰঙণি দি কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ জিলাৰ উপায়ুক্তৰ সন্মুখত 'জয়, মহাত্মাগান্ধীৰ জয়' ধ্বনি দি দেশী চিপাহীৰ বেতৰ কোব খাইছিল।' সেয়েহে ১৯২৪ চনত হেমধৰ পাত্ৰবৰাই আদিৰাম শইকীয়াক লগত লৈ অসম কংগ্ৰেছৰ লগতে সুৰ মিলাই পীড়াকটাত চুতীয়া সন্মিলনৰ অধিবেশন পাতিব খুজিলত পীড়াকটাৰ ৰাইজে স্বৰাজ আন্দোলন হৈ থকাৰ কাৰণে সঁহাৰি নজনালে। যিহেতু দেশ স্বাধীন হ'লে চুতীয়া জাতিৰ লোকসকলেও সকলো সা-সুবিধা পাব। সেইবাবে চুতীয়া সন্মিলনৰ আৱশ্যক নাই।

স্বাধীনতাৰ পৰা এনে পৰম প্ৰত্যাশাৰেই চুতীয়াসকলে ১৯৫৬ চন পৰ্যন্ত চুতীয়া সন্মিলনৰ কাম-কাজো স্থগিত ৰাখিছিল। যথা - '... ভাৰতবাসীৰ পৰম সৌভাগ্যক্ৰমে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে দেশে স্বাধীনতা লাভ কৰাৰ পাছত এনে অনুষ্ঠান বিলাকৰ আৱশ্যকতা নহ'ব বুলিয়ে স্বাধীন নাগৰিকসকলৰ বহুতৰ ধাৰণা হৈছিল। এনে আশাৰ মাজেদি ১৯৫০ চনৰ পৰা ১৯৫৬ চন পৰ্যন্ত সন্মিলনৰ কাৰ্যকাৰিতা প্ৰায় নীৰৱ হৈ আছিল'।[৫০]

১৯৬৮ চনৰ অধিবেশনত সভাপতিৰূপে লক্ষীনাথ শইকীয়াই দিয়া ভাষণত এহাতে স্বাধীনতা আন্দোলনে চুতীয়াসকলৰ মাজত নিজৰ 'জাতীয়' পৰিচিতি সম্পৰ্কে অনা চেতনা আৰু আনহাতে স্বাধীনতাৰ দুই দশক পিছত হোৱা মোহভংগ, দুয়োটাই স্পষ্টকৈ ফুটি উঠিছে - 'জাতিৰ পিতা গান্ধীৰ নেতৃত্বত গঢ়ি উঠিল এক বিৰাট জাতীয় আন্দোলন। ... এই জাতীয় আন্দোলনৰ জুই অসমতো জ্বলি উঠিল। ... অসমৰ চুতীয়া জাতিয়েও নিজ শক্তি অনুযায়ী এই আন্দোলনত জঁপিয়াই পৰিল।... চুতীয়া জাতিৰো চেতনা আহিল যে তেওঁলোকৰ হেৰোৱা জাতীয় মান সন্মান, গৌৰৱ আৰু স্বাধীনতা এই জাতীয় আন্দোলনৰ যোগেদি ঘুৰাই আনিব পাৰিব। অৰ্থাৎ সংখ্যালঘু সম্প্ৰদায় হিচাপে থকা আমাৰ অভাৱ-অভিযোগ, দুখ-কষ্ট অৱহেলা আৰু অৱজ্ঞাৰ ওৰ পৰিব। জাতীয় সন্মানৰ সমান ভাগী হ'ম। মানুহ হিচাপে, সমাজ হিচাপে, আগবাঢ়ি গৈ অসমীয়া জাতি বা বিৰাট ভাৰতীয় জাতি গঢ়ি তোলাত কেকেটুৱাৰ বাঁহপাতৰ ভেটিৰ দৰে আমিও সহায় কৰিব পাৰিম। আমাৰ আশা আছিল, ঐক্যৰ ভেটিত আমাৰ দেশৰ প্ৰকৃত গণতন্ত্ৰ ৰচনা হ'ব।... এয়ে স্বাধীনতা আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সৰ্বপ্ৰধান লক্ষ্য নহয় জানো?' এইবুলি কৈ উঠিও সভাপতিজনে ক'ব লগা হয় - 'অপ্ৰিয় হ'লেও দৃঢ়তাৰে ক'ব লাগিব- আমাৰ সকলো ফালে পিছপৰা এই ঐতিহ্যপূৰ্ণ চুতীয়া সম্প্ৰদায়ে গণতন্ত্ৰৰ ভেটিত প্ৰতিষ্ঠা হোৱা জাতীয় চৰকাৰৰ তলত নিজকে বিকাশ কৰিবলৈ লেখত ল'বলগীয়া একো সুবিধা পোৱা নাই। যেতিয়ালৈকে দেশৰ এচাম বা এটা সম্প্ৰদায়ৰ মানুহ আন এটা সম্প্ৰদায়ৰ

[৫০] কমল চন্দ্ৰ চুতীয়াৰ সভাপতিৰ অভিভাষণ, চাৰিং (১৯৭৪) পৃঃ ২



প্ৰত্যক্ষ বা পৰোক্ষ শোষণ বা শাসনৰ তলত চেপা খাই পেপুৱা লাগি থাকিব লাগে, সেই দেশ কেতিয়াও গণতান্ত্ৰিক ভেটিত জাতীয় চৰকাৰ প্ৰতিষ্ঠা হ'লেও সুস্থ-সৰল নহয়।'[৫১]

চুতীয়া জাতিৰ নেতাই চুতীয়া সন্মিলনৰ নেতৃত্ব বহন কৰি থকা সময়ত সমান্তৰালভাৱে কংগ্ৰেছ তথা স্বাধীনতা আন্দোলনৰো কৰ্মী বা সমৰ্থক আছিল। তেওঁলোকৰ ক্ষেত্ৰত হয় স্বাধীনতাৰ চেতনাই আপোন সম্প্ৰদায়ৰ ন্যায্য প্ৰাপ্ত প্ৰাপ্তিৰ আশা ৰঙাই তুলিছিল অথবা সেই আশাই তেওঁলোকক স্বাধীনতাৰ বাবে সৰ্বস্ব পণ কৰিবলৈও উদগাইছিল। দুয়োটা কথাই পৰস্পৰৰ পৰিপূৰক আৰু দুয়ো ক্ষেত্ৰতে স্বাধীনতাৰ চেতনাই জনগোষ্ঠীগত আত্ম চেতনাক প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিপুষ্টি দিয়াৰ আভাস পোৱা যায়।

**'চুতীয়া জাতি' ঃ চুতীয়া সংগঠনৰ জন্ম-পূৰ্ব ইস্তাহাৰ ঃ**

এনে এক পৰিস্থিতিতে চুতীয়া সম্প্ৰদায়ৰ অন্যতম অগ্ৰণী ব্যক্তি বৰ্তমান যোৰহাট জিলাৰ জাঁজী চুড়ামণি গাঁৱৰ শিক্ষক-সাহিত্যিক-সমাজকৰ্মী ভ্ৰমৰ চন্দ্ৰ শইকীয়াই **'চুতীয়া জাতি'** নামৰ এখনি পুস্তিকা যুগুত কৰি ছপাই উলিয়াই যথাসাধ্য ব্যাপক প্ৰচাৰৰ ব্যৱস্থা কৰে। ১৯২২ চনতে (১৮৪৪ শক) ভায়েক দয়াৰাম শইকীয়াৰ দ্বাৰা প্ৰকাশিত এই ঐতিহাসিক পুথিখনৰ পাতনিতে লেখকে কয় - 'ভাৰতত আজি নতুন যুগৰ সূচনা বুলিব পাৰি। হিন্দু-মুছলমান মিলি-জুলি পৰস্পৰে সহানুভূতি দেখুৱাইছে। ভাৰতবাসীয়ে মুঠ বান্ধি কৰ্তব্য কৰিবলৈ ওলাইছে। সেই ভাৰতৰে ক্ষুদ্ৰ অংগ আসামেও ক্ষুদ্ৰ শক্তি প্ৰয়োগ কৰিবলৈকো পাছহোঁহকা নাই। কাৰণবশতঃ ক্ষীণা বা দীনা দেখিলেও আসাম মাতৃ কেতিয়াও বা হীনা বা দুৰ্বলা নহয়। অসমৰ সৌন্দৰ্য্য, অসমৰ ঐশ্বৰ্য, অসমৰ কীৰ্তি, অসমৰ স্মৃতি অতি চমৎকাৰ। এই বিলাকেই ভৱিষ্যতলৈ সজুলি, খোপনি সাহ, পিত, আদৰ্শ আৰু উদগনি।' চুতীয়াসকলৰ মাজত সেই সময়ত বিৰাজ কৰা শোচনীয় পৰিস্থিতি চিৰকলীয়া নহয় বুলি বুজনি দি এই আদি ইস্তাহাৰত কোৱা হৈছিল - 'ৰজা কাৰেঙো এৰাপৰলিয়া হয়। ... এটা জাতি বা এখন দেশো সদায় একে হৈ নিটিকে। উঠন-পতন প্ৰকৃতিৰ নিয়ম। খৰি ভাৰি ৰজা হোৱা, ৰজাই মাগি খোৱা, বিচুৰ্তি হ'ব লগা কথা নহয়। এসময়ত শীৰ্ষস্থানীয়, জ্ঞান বিক্ৰমেৰে প্ৰশংসিত জাতিৰো অধঃপতন হোৱা, নিজক চিনি নোপোৱা, গৰিহণা খোৱা একো আচৰিত নহয়। বোৱতী নৈৰ গতিৰোধ হ'লে গন্ধিয়ৰি হয় দেখা কথা।'

চুতীয়াসকল আৰ্য নে অনাৰ্য, ক্ষত্ৰিয় নে নহয়, সেই বিষয়েও আলোকপাত কৰি এই ইস্তাহাৰত বিচক্ষণ ভাৱে কোৱা হয় - 'কোনোৱে বিদ্ৰূপ কৰি এনেকৈও ক'ব পাৰে

[৫১] সদৌ অসম চুতীয়া সন্মিলন, চতুৰ্দশ অধিবেশন, ১৯৬৮, পৃঃ ৮-৯।

থকাৰ কথা উল্লেখ কৰিছে। জন মেক্কচ (John M'cosh)-ৰ **Topography of Assam**[১০৭] (1873)ত অতি চমু হ'লেও চুতীয়াসকলৰ সামাজিক অৱস্থান সম্পৰ্কত গুৰুত্বপূৰ্ণ মন্তব্য আছে। উইলিয়াম ৰবিনচনে তেওঁৰ **A Descriptive Account of Assam** (1841)ত চুতীয়াসকলৰ ৰাজনৈতিক আৰু ভৌগোলিক অৱস্থান সম্পৰ্কে আলোচনা কৰিছে। ই. টি. ডেল্টনৰ **Descriptive Ethnology of Bengal**[১০৮] (1872) নামৰ গ্ৰন্থখনতো চুতীয়াসকলৰ গোষ্ঠীগত পৰিচয় সম্পৰ্কে যথেষ্ট সমল আছে। চাৰ হাৰ্বাট ৰিজ্‌লি (Sir Herbert Risley)ৰ **Tribes and Castes ofBengal** (1892)তো চুতীয়াসকলৰ উল্লেখ আছে। নেই ইলিয়াচ (Ney Elias) চাহাবে ব্ৰহ্মদেশত অসমীয়া ভাষাত ৰচিত এখন সৰু বুৰঞ্জীৰ যি পাণ্ডুলিপি পাইছিল তাক ইংৰাজীলৈ অনুবাদ কৰি (১৮৭৬ খ্ৰীঃত) তেওঁৰ **Introductory Sketch of the History of the Shans in Upper Burma and Western Yunnan** নামৰ গ্ৰন্থত প্ৰকাশ কৰিছিল। তেওঁ উল্লেখ কৰা মতে ইংৰাজ আৰু ব্ৰহ্ম ৰজাৰ মাজত হোৱা প্ৰথমখন যুদ্ধৰ (১৮২৪ খ্ৰীঃ) আগে আগে এজন ব্ৰহ্মদেশীয় সেনাপতিয়ে বুৰঞ্জীখন অসমৰপৰা লৈ গৈছিল। বুৰঞ্জীখন তেওঁ অনুবাদ কৰা সময়ত ব্ৰহ্মদেশৰ ৰজাৰ হাতত আছিল। এই সৰু বুৰঞ্জীখনত প্ৰাচীন কালৰ সদিয়া অঞ্চলত অৱস্থিত চুতীয়া ৰাজ্যৰ চমু বিৱৰণ দিয়া হৈছে। এইবিষয়ে যথাস্থানত আলোচনা কৰা হৈছে। ব্ৰাউনৰ পূৰ্বে উল্লেখিত **দেউৰী-চুতীয়া গ্ৰামাৰ** (1895) নামৰ গ্ৰন্থখন দেউৰী-চুতীয়া ভাষা সম্পৰ্কত অধ্যয়ন কৰিবলগা এখন অপৰিহাৰ্য গ্ৰন্থ। এইখন গ্ৰন্থতে কেলনাৰৰ প্ৰস্তুত চুতীয়া ৰজাসকলৰ যি বংশলতা দিয়া হৈছে সি সম্পূৰ্ণ নিৰ্ভৰযোগ্য নহ'লেও চুতীয়াসকলৰ ৰাজনৈতিক বুৰঞ্জী প্ৰণয়নত ইয়াৰ মূল্য নোহোৱা নহয়। চিড্নী এণ্ডেল (Sidny Endle)ৰ **The Kacharis** (1911) নামৰ গ্ৰন্থখনেও চুতীয়াসকলৰ গোষ্ঠী পৰিচয় জনাত কিছু তথ্যৰ যোগান ধৰে।

বি. চি. এলেন (B. C. Allen)ৰ **District Gazetteers** (1905-07), উইলিয়াম উইল্‌চন হান্টাৰ (Willam Wilson Hunter)ৰ **A Statistical Account of Assam** (1879), আৰু ব্ৰিটিছ চৰকাৰৰ **Imperial Gazetteer of India, vol. vi, Census Report of India, 1881-1931** আদিতো চুতীয়া সম্পৰ্কীয় যথেষ্ট তথ্য আছে।

এইবিলাক তথ্যৰ ওপৰতে নিৰ্ভৰ কৰি চাৰ এডৱাৰ্ড গেইটে ১৯০৫ চনত ৰচিত তেওঁৰ **A History of Assam** নামৰ গ্ৰন্থত চুতীয়াসকলৰ ৰাজত্বৰ এটি বিৱৰণ দাঙি ধৰিছে। এই বিৱৰণ চমু হ'লেও বহু পৰিমাণে ই নিৰ্ভৰযোগ্য আৰু ইয়াকে সাৰথি কৰি পৰৱৰ্তী কালৰ ঐতিহাসিকসকলে চুতীয়াসকলৰ বিষয়ে অধ্যয়ন কৰিছে। গেইটে তেওঁৰ বুৰঞ্জীখন ৰচনা কৰাৰ আগতে ১৮৯৭ চনত **Progress of Historical Research**

[১০৭] First Published 1937.
[১০৮] এইখন গ্ৰন্থ ১৯৭৮ চনত **Tribal History of Eastern India** নামেৰে পুনৰ মুদ্ৰণ কৰা হৈছে।



**in Assam** নামৰ এখন প্ৰতিবেদন চৰকাৰক দাখিল কৰিছিল। এই প্ৰতিবেদনত তেওঁ **অৰুনোদই** কাকতত প্ৰকাশ পোৱা চুতীয়া বুৰঞ্জীখনৰ এটি চমু বিৱৰণ দাঙি ধৰিছে আৰু লগতে শদিয়াৰ আশে-পাশে পোৱা যিবোৰ প্ৰত্নতাত্ত্বিক নিদৰ্শন আছে সেইবিলাকৰ এটা সমীক্ষা আগবঢ়াইছে।[১০৯]

গ্ৰীচ আৰু ৰোম দেশৰ ভ্ৰমণকাৰীসকলৰ টোকাতো প্ৰাচীন অসমৰ বিষয়ে কিছু কথা পোৱা যায়। উদাহৰণস্বৰূপে মেগাস্থেনিচ, ষ্ট্ৰেবো, ট'লেমী, প্লিনী আদি বিদেশী পণ্ডিতে প্ৰাচীন উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক পৰিবেশ আৰু ইয়াৰ অধিবাসীসকলৰ বিষয়ে উল্লেখ কৰি গৈছে। টলেমীৰ ভূগোল আৰু পূৰ্ব উল্লেখিত অনামী লেখক এজনৰ **Periplus of the Erythrean Sea** নামৰ গ্ৰন্থত এই অঞ্চলৰ বহুতো ঠাই, নদ-নদী আৰু অধিবাসীৰ উল্লেখ আছে। ইয়াৰে দুই-এটা চুতীয়াসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ বিৱৰণতো প্ৰাচীন অসমৰ সামাজিক, সাংস্কৃতিক আৰু ভৌগোলিক অৱস্থাৰ বহু মূল্যবান তথ্য পোৱা যায়। পাটকাইৰ দক্ষিণৰ টাই-শানসকলৰ কেইখনমান বুৰঞ্জীয়েও চুতীয়াসকলৰ ইতিহাসত আলোকপাত কৰে।

**ধৰ্মীয় সাহিত্য** ঃ সদিয়া ৰাজ্যৰ পুৰণি নাম আছিল বিদৰ্ভ আৰু ইয়াৰ ৰাজধানী আছিল কুণ্ডিল নগৰ। বিদৰ্ভ ৰাজ্যৰ ৰজা ভীষ্মকৰ সতি-সন্ততি বুলি চুতীয়াসকলে নিজকে পৰিচয় দিয়ে। গতিকে বিদৰ্ভ ৰাজ্যৰ ঐতিহাসিক অৱস্থিতি বিচাৰ কৰি চাবলৈ **মহাভাৰত, ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ** আদি ধৰ্মীয় গ্ৰন্থ অধ্যয়ন কৰিবলগীয়া হয়। চুতীয়াসকল দেৱীৰ উপাসক আছিল আৰু সদিয়াৰ কেঁচাইখাঁতী বা তাম্ৰেশ্বৰী গোসাঁনীক তেওঁলোকে নৰবলিৰে পূজা কৰিছিল। এই তাম্ৰেশ্বৰী গোসাঁনী দিক্কৰবাসিনী দেৱীৰ তীক্ষ্ণকান্তা বা উগ্ৰাতাৰা একজটা ৰূপ। দিক্কৰবাসিনীৰ মাহাত্ম্যৰ বিষয়ে জানিবলৈ হ'লে খ্ৰীষ্টীয় দশম শতিকামানত কামৰূপত ৰচিত **কালিকাপুৰাণ**ৰ অধ্যয়ন অতি প্ৰয়োজনীয় হৈ পৰে। খ্ৰীষ্টীয় যোল্ল শতিকাত অসমত ৰচিত **যোগিনীতন্ত্ৰ**ত দেৱীপূজাৰ সকলো বিধি-বিধান বিতংভাৱে আলোচনা কৰা হৈছে। গতিকে **কালিকাপুৰাণ** আৰু **যোগিনীতন্ত্ৰ** অধ্যয়ন নকৰাকৈ চুতীয়াসকলৰ দেৱী পূজা সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব নোৱাৰি। **যোগিনীতন্ত্ৰ**ত তদানীন্তন কামৰূপত ৰাজত্ব কৰা চাৰিটা বিশেষ জাতিৰ উল্লেখ আছে। সেইমতে পূৱফালে সৌমাৰসকলে, পশ্চিমত কুবাচসকলে, দক্ষিণত যৱনসকলে আৰু উত্তৰত প্লৱসকলে ৰাজত্ব কৰিছিল। সৌমাৰসকলক আহোমসকলৰ লগত, কুবাচসকলক কোচৰ লগত, যৱনসকলক কছাৰীৰ লগত আৰু প্লৱকসকলক ধ্বজপাল উপাধিধাৰী চুতীয়াৰ লগত চিনাক্ত কৰা হৈছে।[১১০] চুতীয়াসকলৰ আৰাধ্য দেৱতা কুবেৰৰ বিৱৰণো **যোগিনীতন্ত্ৰ**ত আছে।

[১০৯] pp.19f.,72f.
[১১০] সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভুঞা আৰু মটক ৰাজ্য**, ১৯৬৪,পৃঃ১৩-১৫

যে চুতীয়া জাতিটো ক্ষত্ৰিয়হে তাতকৈ ওপৰৰ নহয়নে? তাৰ উত্তৰত আমি ইয়াকে কওঁ ঃ উপবীত গ্ৰহণ কৰা নকৰা, বৈবাহিক সম্বন্ধৰ নিৰ্ণয় ব্ৰহ্মাৰ বাহুৰ পৰা হোৱা- নোহোৱা আৰু অতীজৰ ক্ষত্ৰিয় আৰ্যৰ সতি সন্ততি বা ৰীতি-নীতি আদিৰ কথালৈ নগৈ থুলমূলকৈ ইয়াকে জনাওঁ যে, সাহিয়াল আৰু যুঁজাৰু যি ফৈদ, যাৰ নায়ক ৰজা, সেই ক্ষত্ৰিয় শক্তি-বিশিষ্ট, ক্ষত্ৰিয় শৌৰ্য্য বীৰ্য্যৰে চুতীয়া সম্প্ৰদায়ও এসময়ত গঠিত আছিল। উত্তম মধ্যম বা জাতকুল বিচাৰ কৰিবলৈ যোৱাটো আমাৰ প্ৰধান লক্ষ্য নহয়। আলাই এথানিকৈ সিঁচৰিত হৈ থকা অধঃপতনে যোৱা পিচ পৰি থকা চুতীয়া জাতিটো পেপুৱা নহৈ আন আন সম্প্ৰদায়ৰ লগত টনকিয়াল হৈ আগুৱাবলৈ এই জাতীয় জাগৰণৰ যুগত চেতনা বিয়পোৱাহে আমাৰ ঘাই ইচ্ছা।'

**চুতীয়া সন্মিলনৰ 'সূচনা' ঃ**

আহোম ৰজাৰ হাতত পৰাজয়ৰ পৰা মান ভগনলৈকে জৰৌৰৌৱা হৈ পৰা এটা জনগোষ্ঠীক, এখন সমাজক আত্মবিশ্বাস আৰু আত্ম-মৰ্যাদাৰ ভিত্তিত একত্ৰিত আৰু সংগঠিত কৰাটো সামান্য কথা নহয়। প্ৰয়াত ভ্ৰমৰ চন্দ্ৰ শইকীয়াই সেই কঠিন কামটোৰে 'সূচনা' ঘটাইছিল, আৰু তাকে তেওঁ কৰিছিল বিচক্ষণতাৰে, আন্তৰিকতাৰে, নিষ্ঠাৰে। ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ সযত্ন আৰু চিন্তাৰ ফলশ্ৰুতি আছিল সদৌ অসম চুতীয়া সন্মিলন। ইতিমধ্যে নানান প্ৰসঙ্গত চুতীয়া সন্মিলনৰ ভূমিকা আলোচনা কৰি অহা হৈছে। এইখিনিত মাথো ইয়াকে ক'লেই বোধহয় ভাল হ'ব যে ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ যত্নতেই অতি কম দিনৰ ভিতৰতে এই সংগঠনৰ জন্ম হয়। প্ৰায় ৭৫ টকাৰ পুঁজি খৰচ কৰি চুতীয়া সন্মিলনৰ ইস্তাহাৰ সুলভ ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ **চুতীয়া জাতি** নামৰ পুথিখনৰ এহেজাৰ কপি ছপোৱা হয়। এই পুথিখনৰ সমান্তৰাল ভাৱে ১৮৪৪ শকৰ ২৬ কাতিত কমাৰবন্ধীয়া নামচনীয়া নামঘৰত শ্ৰীযুত ৰঙাই হাজৰিকাৰ সভাপতিত্বত গোলাঘাটৰ কেউ অঞ্চলৰ চুতীয়াসকলৰ এখন ডাঙৰ সভা অনুষ্ঠিত হয়। তাতেই গোলাঘাট চুতীয়া সভা গঠন হয়। সেই সভাৰ এখন ডাঙৰ অধিবেশন ১৮৪৫ শকৰ ৫ জেঠত শালিকীহাটত বহে। সেই প্ৰক্ৰিয়াৰে ধাৰাবাহিকতাত সেই শকৰে ১৫ পুহত অভ্যৰ্থনা সমিতি গঠিত হয় আৰু ১৯২৫ চন (১৯৪৭ শক)ৰ ১০ এপ্ৰিল তাৰিখে বৰ্তমানৰ গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ নপমুৱা চাৰিঙীয়া গাঁৱত আসাম চুতীয়া সন্মিলনৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয়। ইয়াত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত হাকিম আৰু খ্যাতনামা সাহিত্যিক ৰজনীকান্ত বৰদলৈয়ে। ডিব্ৰুগড়, নাৰায়ণপুৰ, শিৱসাগৰ, মেটেকা, বেতবাৰী, নামতি, চাৰিং, চাওখাট, আমগুৰি, ভূএগ্ৰহাট, জাঁজী, টীয়ক, বাদু লীপুখুৰী, নগাওঁ, ৰহা, বাৰপূজীয়া, উত্তৰ গুৱাহাটী আদিৰ পৰা চুতীয়া সম্প্ৰদায়ৰ মুখীয়াল লোক সকল আহিছিল। আহিব নোৱাৰা বহুতেই শুভেচ্ছা বাৰ্তা পঠাইছিল। গোলাঘাট মহকুমাৰ বিভিন্ন অঞ্চলৰ চুতীয়া মানুহ সভাত ঠাঁহ খাই পৰিছিলহি। আন সম্প্ৰদায়ৰো বহু গণ্যমান্য লোক সমবেত হৈ সন্মিলনৰ শোভা বঢ়াইছিল। তিনিটা শুৱনি কলচীৰে নতুন ধৰণৰ ঘৰ চুতীয়াৰ ৰাজ সিংহাসনৰ আৰ্হিলৈ স্মৰণ কৰি কৰা হৈছিল। সন্মিলনত ৰচনা পাঠ, বক্তৃতা, গানগোৱা, আবৃত্তি আদি অনুষ্ঠিত হৈছিল। সন্মিলনত গৃহীত প্ৰস্তাৱকেইটা হ'ল -

'**প্ৰথম প্ৰস্তাৱ** ঃ সৰ্বসন্মতিক্ৰমে এই সন্মিলনে প্ৰস্তাৱ কৰে যে চুতীয়া লোকসকলে নিজৰ ল'ৰাছোৱালীক নিচেই কমকৈ হ'লেও প্ৰাইমেৰী শিক্ষা দিবলৈ যেন যত্নৱান হয়।

**দ্বিতীয় প্ৰস্তাৱ** ঃ নিম্নোক্ত লোকসকলেৰে এখন কাৰ্যনিৰ্বাহক সভা গঠন কৰা হওঁক -

১। হেমধৰ পাত্ৰ বৰা ২। মাণিক চন্দ্ৰ দাস ৩। ৰতিকান্ত হাজৰিকা ৪। তুলসীৰাম তামুলী ৫। ৰঙাই হাজৰিকা ৬। নাৰায়ণচন্দ্ৰ চাৰিঙীয়া ৭। ভ্ৰমৰচন্দ্ৰ শইকীয়া ৮। ইন্দ্ৰেশ্বৰ চুতীয়া ৯। দিবাৰাম শইকীয়া ১০। গোপীনাথ বৰদলৈ ১১। ভুৰাম বৰুৱা ১২। ভেবেলা ৰাম বৰা ১৩। ধনীৰাম হাজৰিকা ১৪। ভেবেলা বৰা ১৫। ললিত চন্দ্ৰ তামুলী - এই সকলৰ ভিতৰতে ভ্ৰমৰচন্দ্ৰ শইকীয়াক সম্পাদক, ৰতিকান্ত হাজৰিকাক সহকাৰী সম্পাদক, মাণিকচন্দ্ৰ দাসক ধনভৰালী মনোনীত কৰা হয়।

**তৃতীয় প্ৰস্তাৱ** ঃ অসমৰ সকলো ঠাইতে এই সন্মিলনৰ শাখা সভা গঠন কৰিবলৈ কাৰ্যনিৰ্বাহক সভাক ভাৰ দিয়া হওক।

**চতুৰ্থ প্ৰস্তাৱ** ঃ কোনো ভাল উপায়েৰে এই সন্মিলনৰ ধনভঁৰাল স্থাপন কৰিবলৈ কাৰ্যনিৰ্বাহক সভাক ভাৰ দিয়া হওক।

**পঞ্চম প্ৰস্তাৱ** ঃ এই সন্মিলনে আশা কৰে যে সকলো চুতীয়া লোকসকলে ভাং, কানি, চুৰত আদিৰ অপকাৰিতা বুজি তাক ক্ৰমে পৰিহাৰ কৰিবলৈ মন আৰু যত্ন কৰে।'[৫২]

অসম চুতীয়া সন্মিলনৰ দ্বিতীয় অধিবেশন অনুষ্ঠিত হয় নগাওঁ জিলাৰ ৰহাত ১৮৪৯ শকৰ ২১ আহিন শনিবাৰৰ দিনা। এই অধিবেশনত সভাপতিত্ব কৰে সাহিত্যিক নীলমণি ফুকনে। মন কৰিবলগীয়া যে প্ৰথম চুতীয়া সন্মিলনৰ সভাপতি ৰজনীকান্ত বৰদলৈৰ দৰে নীলমণি ফুকনো আছিল অসম সাহিত্য সভাৰ অন্যতম সভাপতি তথা অসমীয়া মূলসুঁতিৰ আনুষ্ঠানিক প্ৰতিনিধি। যি কি নহওঁক, লক্ষীমপুৰ, শিৱসাগৰ, নগাওঁ, দৰং আৰু কামৰূপ জিলাৰ প্ৰতি মহকুমাৰ চুতীয়া মানুহ থকা প্ৰতি অঞ্চলৰ পৰা প্ৰতিনিধি আহিছিল। আদৰণি সমিতিৰ সভাপতি আছিল গোপীনাথ বৰদলৈ

[৮৪] Choudhury,p.103.
[৮৫] *ibid.*,p.145.

[৫২] প্ৰথম আসাম চুতীয়া সন্মিলন, ১৯২৫।

(মুখ্যমন্ত্ৰীজন নহয়)।

সন্মিলনত সৰ্বসন্মতিক্ৰমে গৃহীত আঠোটা প্ৰস্তাৱৰ ভিতৰত আছিল (১) অসম উপত্যকাৰ বাহিৰে অন্য ঠাইত বাস কৰা চুতীয়া লোকসকল যাতে ভাষা, আচাৰ - নীতিত সম্পূৰ্ণ অসমীয়া হৈ থাকে, তাৰ ব্যৱস্থা লোৱা, (২) 'চুতীয়া' শব্দটো যাতে অন্যান্য বানানত নহৈ 'চুতীয়া' এই জোটনিৰেই প্ৰচলন হয় তাৰ বাবে অসম সাহিত্য সভা আৰু সাহিত্যিক সকলক জনোৱা, (৩) চুতীয়া জাতিৰ প্ৰতি হেয় ভাৱ প্ৰকাশ কৰি দুই এজন সাহিত্যিকে অন্য ঠাইত ভাষণ দিয়া আৰু লিখা কাৰ্যত দোৰ্ঘোৰ প্ৰতিবাদ জনোৱা, (৪) অসমৰ অন্যান্য অনুন্নত সম্প্ৰদায় আৰু জাতি বিলাকলৈ সহানুভূতি জনোৱা আদি।

মন কৰিবলগীয়া যে এই সন্মিলনৰ প্ৰথম প্ৰস্তাৱে বিভক্ত, বিক্ষিপ্ত চুতীয়াৰ ঐক্য সাধনত জোৰ দিছিল। আনহাতে দ্বিতীয় আৰু তৃতীয় প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল অসম সাহিত্য সভা আৰু সাহিত্যিকসকলক কেন্দ্ৰ কৰি। মন কৰিবলগীয়া যে অসম সাহিত্য সভাৰ একাধিক সভাপতিয়ে চুতীয়া সন্মিলনতো সভাপতিত্ব কৰিছিল। তৎসত্বেও সাহিত্য সভা আৰু সাহিত্যিকৰ অৱহেলা বা তাচ্ছিল্য সূচক মন্তব্যৰ বিৰুদ্ধাচৰণ কৰি প্ৰস্তাৱ ল'ব লগা হোৱাটো তাৎপৰ্যপূৰ্ণ দিশ আছিল। যোৰহাট জিলাৰ পীড়াকটাত ১৮৫০ শকৰ চ'ত মাহৰ ৯, ১০ আৰু ১১ তাৰিখে অসম চুতীয়া সন্মিলনৰ তৃতীয় অধিবেশন হয়। এই অধিবেশনৰ সভাপতি আছিল ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱা। এই সভাত কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই প্ৰস্তাৱসমূহ হ'ল-

**প্ৰথম প্ৰস্তাৱ** ঃ এই সন্মিলনে মহামান্য ভাৰত সম্ৰাটৰ আৰোগ্যত আনন্দ প্ৰকাশ কৰি তেখেতৰ দীৰ্ঘজীৱন কামনা কৰে।

**দ্বিতীয় প্ৰস্তাৱ** ঃ এই সন্মিলনে প্ৰস্তাৱ কৰে যে সকলো চুতীয়া মানুহে বিদেশী কাপোৰ এৰি আগৰ আমাৰ পুৰাতনীয়া দস্তুৰমতে নিজে ঘৰত সূতা কাটি বৈ লয় যেন।

**চতুৰ্থ প্ৰস্তাৱ** ঃ যিহেতুকে সম্প্ৰদায়ৰ চৰকাৰী চাকৰিত লোক অতি তাকৰ, এই সন্মিলনে সেই হেতুকে প্ৰস্তাৱ কৰে যে কোনো বিভাগৰ চাকৰিত এই সম্প্ৰদায়ৰ উপযুক্ত প্ৰাৰ্থী থাকিলে গৱৰ্ণমেণ্টে যেন বিশেষৰূপে বিবেচনা কৰে।

**পঞ্চম প্ৰস্তাৱ** ঃ আসাম চুতীয়া সন্মিলনৰ প্ৰথম অধিবেশনৰ পঞ্চম প্ৰস্তাৱ (ৰাগীয়াল বস্তু পৰিহাৰ কৰা) কাৰ্যত পৰিণত কৰিবলৈ পুনৰ আজিৰ সন্মিলনে প্ৰস্তাৱ কৰে।[৫৩]

চুতীয়া সন্মিলনৰ উদ্দেশ্য আৰু ই প্ৰথম কেইবছৰমানত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ লক্ষ্য কৰিলে তলত দিয়া ধৰণে মতামত আগবঢ়াব পাৰি -

[৫৩] ভ্ৰমৰ চন্দ্ৰ শইকীয়া ঃ আসাম চুতীয়া সন্মিলন, তৃতীয় অধিবেশন, পীড়াকটা, ১৯২৯।



(১) অসমৰ চুতীয়া সম্প্ৰদায়টোৰ ভিতৰত সু-শিক্ষাৰ পোহৰেৰে একতা স্থাপন কৰি নৈতিক, মানসিক আৰু আৰ্থিক অৱস্থা উন্নত কৰিব পৰাই এই সন্মিলনৰ ঘাই উদ্দেশ্য।

(২) এই সন্মিলনে ৰাজনীতিৰ বিষয়ে আলোচনা নকৰে।

(৩) আসামৰ চুতীয়া সম্প্ৰদায়টোৰ উন্নতিৰ অৰ্থে সন্মিলনে তলত দিয়া কাৰ্যখিনি কৰিবৰ নিমিত্তে চেষ্টাত থাকিব।

(ক) পুৰাতনীয়া কথা অনুসন্ধান আৰু উদ্ধাৰ কৰি চুতীয়া জাতিৰ এখন ভাল বুৰঞ্জী উলিওৱা।

(খ) কোনো সজ উপায়েৰে চুতীয়া জাতিৰ লোক সকলৰ শিক্ষালৈ ধাউতি জন্মোৱা।

(গ) কু-সংস্কাৰ আদি আঁতৰাই সামাজিক অৱস্থা উন্নত কৰিবলৈ যত্ন কৰা।

(ঘ) এটা স্বজাতীয় ধনৰ ভঁৰাল স্থাপন কৰা।'[৫৪]

মন কৰিবলগা যে, ১৯৪৮ চনত ডিব্ৰুগড়ৰ ৰহমৰীয়াত অনুষ্ঠিত নৱম অধিবেশনত সংশোধিত, পৰিৱৰ্দ্ধিত আৰু গৃহীত নিয়মাৱলী অনুসৰি সদৌ অসম চুতীয়া সন্মিলনৰ উদ্দেশ্যসমূহ আছিল -

'(ক) ভাৰতীয় স্বাধীন ৰাষ্ট্ৰত অতীতৰ ৰাজশক্তি সম্পন্ন চুতীয়া জাতিৰ লোকসকলৰ কাৰণে স্বাধীন নাগৰিক হিচাবে ৰাষ্ট্ৰৰ সকলো ক্ষেত্ৰতে যোগ্যতা আৰু যোগ্যস্থান অৰ্জন কৰা সম্পৰ্কে আৰু অনগ্ৰসৰ জাতি হিচাবে ৰাষ্ট্ৰৰ পৰা বিশেষ সুবিধা লাভ কৰা বিষয়ত সম্প্ৰদায়ৰ সন্মিলিত শক্তিৰে সকলো প্ৰকাৰৰ ন্যায়সংগত উপায় অৱলম্বন কৰিব।

(খ) পুৰাতনীয়া কথা (প্ৰাচীন তথ্য) অনুসন্ধান কৰি চুতীয়া জাতিৰ এখন বুৰঞ্জী প্ৰণয়ন কৰাও এই সভাৰ উদ্দেশ্য।

(গ) উপৰোক্ত উদ্দেশ্যসমূহ কাৰ্যত পৰিণত কৰিবলৈ এটা স্বজাতীয় ধন ভড়াল স্থাপন কৰা।'[৫৫]

এই খিনিতে পুনৰ চুতীয়া সন্মিলনৰ অধিবেশনবোৰৰ প্ৰসংগলৈ ঘূৰি চোৱাটো প্ৰাসংগিক হ'ব। ১৯২৯ চনৰ জুন মাহৰ ২৮ তাৰিখে গোলাঘাট জিলাৰ কমাৰবন্ধাত চুতীয়া সন্মিলনৰ এখন বিশেষ অধিবেশন বহে। তাত সভাপতিত্ব কৰে ৰায়চাহাব গোপীকাবল্লভ গোস্বামীয়ে।

১৮৫২ শকৰ ৬ আৰু ৭ ব'হাগত (ইংৰাজী, ১৯৩০ চন) শিৱসাগৰ বানমুখত চুতীয়া সন্মিলনৰ চতুৰ্থ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত সভাপতিত্ব কৰে

[৫৪] আসাম চুতীয়া সন্মিলন ঃ **নিয়মাৱলী** (সংশোধিত) ১৯৩৬।

[৫৫] সদৌ অসম চুতীয়া সন্মিলন ঃ **নিয়মাৱলী**, ১৯৪৮।

বিশিষ্ট পুৰাতত্ববিদ সাহিত্যিক সৰ্বেশ্বৰ শৰ্মা কটকীয়ে। তেখেতে সভাপতিৰ অভিভাষণ দিয়াৰ উপৰিও গধূলিলৈ ছায়াচিত্ৰৰ সহায়েৰে অসমৰ পুৰণি কীৰ্তিৰ বিষয়েও এটি বক্তৃতা দিয়ে।

এই অধিবেশনত চুতীয়াৰ জাতীয় সংগঠনৰ বাবে প্ৰচাৰক নিযুক্তি দিয়া, দেউৰী লোকসকলক চৰকাৰী পিয়লত জড়োপাসক (Animist) নেপাতি চুতীয়াৰ অন্তৰ্ভুক্ত বুলি ধৰিবলৈ জনোৱা; সন্মিলনৰ প্ৰচাৰ সমিতি গঠন কৰা; চুতীয়া সম্প্ৰদায়ৰ ভালেমান লোক অন্য সম্প্ৰদায়ৰ লগত জাপ যোৱাত তেওঁলোকক নিজ জাতিৰ লগত যোগ হৈ চুতীয়া বুলি পৰিচয় দিবলৈ অনুৰোধ কৰা, মায়ামৰা সম্প্ৰদায়ৰ ভিতৰত থকা চুতীয়াসকলকো, অন্যান্য চুতীয়াৰ দৰে জ্ঞাতি বুলি বিবেচনা কৰিবলৈ সিদ্ধান্ত কৰা, শিক্ষাবিভাগে স্কুলত পঢ়া ছাত্ৰৰ জাতি হিচাব লওঁতে চুতীয়া ছাত্ৰক নীহজাতি বুলি লেখত ধৰা কাৰ্যত প্ৰতিবাদ জনাই ভুল শুধৰাবলৈ জনোৱা, দেশীবস্ত্ৰ পৰিধানত গুৰুত্ব দিয়া, নিয়মাৱলী সংশোধন কৰা আদি।[৫৬]

সদৌ অসম চুতীয়া সন্মিলনৰ পঞ্চম বাৰ্ষিক অধিবেশন বুৰঞ্জী প্ৰসিদ্ধ চাৰিং চহৰত ১৯৫৭ শকৰ ২১, ২২, ২৩ চ'তত (ইংৰাজী ১৯৩৫ চন) তিনিদিনীয়াকৈ বহে। এই অধিবেশনৰ সভাপতি আছিল ৰায়বাহাদুৰ শ্ৰীযুত বৃন্দাবন চন্দ্ৰ গোস্বামী বি.এল., এম.এল.চি ডাঙৰীয়া।

এই অধিবেশনত অসমৰ পৰা শ্ৰীহট্ট বিচ্ছেদৰ সমৰ্থন, অসমত বিশ্ববিদ্যালয় আৰু হাইকৰ্ট স্থাপন কৰিবলৈ গভৰ্ণমেণ্টক টানি অনুৰোধ কৰা, 'দৈনিক বাতৰি' আৰু 'ৰাইজ' প্ৰকাশত আনন্দ প্ৰকাশ কৰা, চুতীয়া জাতিৰ পুৰণি তথ্য অনুসন্ধানত ব্ৰতী হোৱা লোকক ধন্যবাদ জনোৱা, চুতীয়াৰ উপযুক্ত প্ৰাৰ্থীক চৰকাৰী চাকৰিত নিয়োগ কৰিবলৈ ভাৰপ্ৰাপ্ত বিষয়াসকলক টানি অনুৰোধ জনোৱা; মেট্ৰিক, আই. এ., বি. এ. আদিত চুতীয়া ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি দিবৰ বাবে চৰকাৰক অনুৰোধ জনোৱা। সন্মিলনৰ ছমহীয়া মুখপত্ৰ প্ৰকাশৰ কমিটি গঠন আদি মুঠ যোল্লটি প্ৰস্তাৱ গৃহীত হয়।[৫৭]

এইখিনিতে সন্মিলনৰ প্ৰথম পাঁচ খন অধিবেশন আৰু পৰৱৰ্তী অধিবেশন বিলাকৰ মাজৰ এটা মৌলিক পাৰ্থক্যৰ কথা চকুত পৰে। প্ৰথম পাঁচখন তথা এখন বিশেষ অধিবেশনৰ সভাপতি সকল আছিল বৰ্ণহিন্দু। সেয়েহে সেই বৰ্ণ হিন্দু নেতৃত্বাধীন ছখন অধিবেশন বিস্তৃতভাৱে আলোচনা কৰা হ'ল। পৰৱৰ্তী কালৰ অধিবেশনৰ সভাপতিসকল কেৱল চুতীয়া সম্প্ৰদায়ৰ মাজৰ পৰাই লোৱা হয়। প্ৰসঙ্গক্ৰমে আৱশ্যক বুলি ভবা স্থানত মাথো সেই বোৰ উল্লেখ কৰা হ'ব।

---

[৫৬] চতুৰ্থ অধিবেশনৰ কাৰ্যবিৱৰণী, বাণমুখ, ১৯৩০।

[৫৭] মোহনৰাম শইকীয়া, সদৌ অসম চুতীয়া সন্মিলনৰ চমু আভাস, মৰাণ অধিবেশনৰ স্মৃতিগ্ৰন্থ, মৰাণ, ১৯৭৬।



**আৰ্য বনাম অনাৰ্য ঃ ক্ষত্ৰিয় বনাম জনজাতি ঃ**

অসম তথা ভাৰতৰ, আনকি সমগ্ৰ পৃথিৱীৰো বিভিন্ন জনগোষ্ঠীবোৰে আজি যেতিয়া আপোন পৰিচিতিৰ সন্ধানত নামিছে, তেতিয়া তেওঁলোকে নিজৰ শিপা বা মূলৰ (Roots) সন্ধানো কৰিব লগা হৈছে। ইতিহাসৰ অনিবাৰ্য সমন্বয় প্ৰক্ৰিয়াৰ ফলত যেতিয়া জনগোষ্ঠীবোৰ সংমিশ্ৰিত হৈছে, আধুনিক বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াত চামিল হৈছে, তেতিয়া সিবিলাকে দ্বৈত বা ততোধিক উপৰ্যুপৰি সত্বা (overlapping identities) লাভ কৰিছে। উদাহৰণস্বৰূপে, এজন মানুহ হয়তো বৰাহী চুতীয়া আছিল; এতিয়া বৰাহী ফৈদ সত্বা প্ৰায় বিলীন হৈ তেওঁৰ চুতীয়া গোষ্ঠী সত্বা শক্তিশালী হৈছে। কিন্তু তেওঁ যিমানেই চুতীয়া নহওঁক, তেওঁৰ পৰিচয় হ'ল তেওঁ এজন অসমীয়া। আকৌ একেসময়তে তেওঁ এজন ভাৰতীয়ও। তাৰ সমান্তৰাল ভাৱে হয়তো তেওঁ হিন্দু; কিন্তু কেৱল হিন্দু বুলি ক'লেও সম্পূৰ্ণ নহ'ব; হয়তো তেওঁ মহাপুৰুষীয়া পন্থাৰ শ্ৰী মন্ত শংকৰদেৰ সংঘৰ অনুগামী। একেজন মানুহৰে একেসময়তে ইমানখিনি বা ইয়াতকৈ বেছি সত্বা থাকিব পাৰে আৰু থাকেও। ফলত এই উপৰ্যুপৰি সত্বাবোৰৰ মাজত সম্পৰ্ক থাকে, আকৌ সংঘাতো থাকে।

আনহাতে নিজৰ পৰিচিতিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈও গোষ্ঠী একোটাৰ বহু সময় লাগে। তাক লৈ দ্বন্দ্ব-দোমোজা-বিতৰ্ক হোৱাটোও অস্বাভাৱিক নহয়। চুতীয়া সকলৰ ক্ষেত্ৰতো আৰ্য বনাম অনাৰ্য পৰিচিতিৰ সংঘাত আৰম্ভণিৰ পৰা এতিয়ালৈকে পৰিলক্ষিত হয়। এসময়ত ক্ষত্ৰিয় বুলি পৰিচয় দিব বিচৰাৰ পৰা আজিৰ জনজাতীয় ৰূপে অনুসূচীকৰণৰ দাবী উত্থাপনলৈও আছে এক সুদীৰ্ঘ পথ-পৰিক্ৰমা। চুতীয়াসকলৰ শিপাৰ সন্ধানে আৰ্যাবৰ্ত নে মহাচীন ক'লৈ লৈ যাব, তাক লৈও আছে চিন্তা আৰু চৰ্চা। বিগত প্ৰায় এক শতিকা জুৰি এই কেইটা প্ৰশ্নক কেন্দ্ৰ কৰি চুতীয়া সমাজৰ মনন কিদৰে আবৰ্তিত হৈছে আৰু সি কেনেদৰে তেওঁলোকৰ আত্ম পৰিচয়ৰ প্ৰচেষ্টাত অৰিহণা যোগাইছে তাৰ এটি আভাস তলত দিয়া হৈছে।

অসম চুতীয়া সন্মিলনৰ প্ৰথম অধিবেশনতে (১৯২৫) মুকলি সভাৰ সভাপতি ৰজনীকান্ত বৰদলৈয়ে দ্ব্যৰ্থহীনভাৱে ঘোষণা কৰিছিল - 'এই নিঃকিনেই ত্ৰয়োদশ বছৰৰ বাঁহীত প্ৰথমেই অসমীয়া ভাষাত আমাৰ চুতীয়া ভাতৃসকলৰ পূৰ্বগৌৰৱ পূৰ্ণ বৃত্তান্ত প্ৰকাশ কৰি অসমীয়া ৰাইজক জনাইছো যে আমাৰ চুতীয়া জাতিটো আগৰ সেই ক্ষত্ৰিয় ৰজা ভীষ্মকৰ বংশধৰ। ... স্বাধীন অৱস্থাত থকা কালত অৰ্থাৎ আহোমসকলৰ হাতত পৰাজিত হোৱাৰ আগলৈকে সমস্ত চুতীয়া জাতিটোৱেই সকলো বিষয়তে হিন্দুৱেই আছিল। চুতীয়াৰ ৰজাসকলে হিন্দু ক্ষত্ৰিয়বংশী পাল ৰজা, কমতাপুৰৰ ৰজা এইসকলৰ সৈতে বিবাহ সূত্ৰত আবদ্ধ আছিল। বিবাহত হোম পুৰি বামুণে বেদোক্ত মন্ত্ৰ উচ্চাৰণ কৰি চুতীয়াসকলৰ বিবাহ কাৰ্য সম্পন্ন কৰিছিল। চুতীয়াসকলৰ নিজৰ ভিতৰতেও আৰু মাজে-

সময়ে আমাৰ অসমীয়া আন হিন্দুৰ সৈতেও বিবাহাদি আদান-প্ৰদান কৰিছিল। সম্পত্তিৰ উত্তাৰাধিকাৰীও চুতীয়াসকলৰ মাজত হিন্দু দায়ভাগৰ নিয়মেই চলি আছে। শ্ৰাদ্ধ বিবাহাদি আদি সমস্তই হিন্দুৰ দৰে, কোনো বিভিন্নতা নাই। এই সমস্ত কাৰণে বৰ্তমানলৈকে হিন্দু চুতীয়াসকল সম্পূৰ্ণ ক্ষত্ৰিয় হিন্দুৱেই। .. চুতীয়াসকল কাশ্যপ গোত্ৰীয় ক্ষত্ৰিয়।'[৫৮]

চুতীয়া সন্মিলনৰ চতুৰ্থ অধিবেশনৰ সভাপতিৰ অভিভাষণতো সভাপতি সৰ্বেশ্বৰ শৰ্মা কটকীয়ে চুতীয়াসকলক ক্ষত্ৰিয় বুলি প্ৰমাণ কৰিবলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ উদ্ধৃত কৰি কয় - 'ভীষ্মক চুতীয়া বোলাত তেওঁক যে ক্ষত্ৰিয় বোলা হোৱা নাই এনে বুজিলে ভুল হ'ব। ভাৰতৰ প্ৰায় যুঁজাৰু জাতি মাত্ৰকে ক্ষত্ৰিয়।'[৫৯]

চুতীয়াসকলৰ ওপৰত আৰ্যত্ব-ক্ষত্ৰিয়ত্ব আৰোপ কৰাৰ এই প্ৰক্ৰিয়াই শীৰ্ষবিন্দু স্পৰ্শ কৰে ১৯২৯ চনত গোলাঘাট কমাৰবন্ধাত বহা আসাম চুতীয়া সন্মিলনৰ বিশেষ অধিবেশনত। এক অৰ্থত এই বিশেষ অধিবেশন, আৰু তাৰ তাৎপৰ্যই আজিলৈকে চুতীয়া সম্প্ৰদায় আৰু তাৰ পৰিস্থিতি আৰু মননৰ ওপৰত সুদূৰপ্ৰসাৰী আৰু দীৰ্ঘস্থায়ী প্ৰভাৱ পেলালে। গুণগত তথা তাত্বিকভাৱে এই অধিবেশনক এক অন্য মাত্ৰা প্ৰদান কৰিলে ইয়াৰ সভাপতি ৰায়বাহাদুৰ গোপীকাবল্লভ গোস্বামীৰ ভাষণে। নিজৰ অভিভাষণৰ আৰম্ভণিতে গোস্বামীয়ে কয় - 'এই বিশেষ অধিবেশননো আজি কেনেকৈ হ'বলৈ পালে? অলপতে খোৰাং বোলা এঠাইত আসাম কছাৰী যুৱক সন্মিলনীৰ তৃতীয় অধিবেশন হৈ গ'ল। সেই অধিৱেশনত আমাৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত বেণুধৰ ৰাজখোৱা, বি.এ. দেৱ সভাপতি আছিল। তেখেতে তেখেতৰ অভিভাষণত চুতীয়া জাতিৰ সম্বন্ধে কেইটামান মন্তব্য কৰিছিল। যেনে-

(১) কছাৰীৰ দৰে চুতীয়াও বড়ো জাতিৰ মানুহ (পৃঃ ২)

(২) চুতীয়াও কছাৰীৰ ঠাল-ঠেঙুলি মাথোন (পৃঃ ৮)

(৩) ৰুক্মিণী দৰাচলে কছাৰী জীয়ৰী আছিল (পৃঃ ১০)

ৰাজখোৱা ডাঙৰীয়াৰ অভিভাষণত চুতীয়া জাতিক উপলক্ষ্য কৰি এনেকৈ ইতিকিং কৰি মন্তব্য প্ৰকাশ কৰাত সদৌ চুতীয়া জাতিয়ে মনত গুৰুতৰ আঘাত পাই সেই মন্তব্য বিলাকৰ প্ৰতিবাদ কৰিবৰ অৰ্থে আজি এই বিশেষ সভা আহ্বান কৰিছে।

... ৰাজখোৱা ডাঙৰীয়াৰ ওপৰত আমাৰ আন্তৰিক শ্ৰদ্ধা আছে। তেখেতৰ নিচিনা এজন বয়োবৃদ্ধ মানুহে অপ্ৰিয়, অপ্ৰাসংগিক আৰু অসত্য কথা কৈ এটি অতীত কালৰ প্ৰৱল পৰাক্ৰান্ত জাতিৰ মনত আৰু হৃদয়ত এনেভাৱে আঘাত লগাব এইটো বৰ দুখৰ কথা। তেখেতৰ অভিভাষণত চুতীয়া জাতিলৈ বিদ্ৰূপ কৰি লিখা কথা কেইফাঁকি তেখেতে নেলেখাহেঁতেন বোধকৰোঁ তেখেতৰ অভিভাষণ, অসম্পূৰ্ণ বা কোনো প্ৰকাৰে

[৫৮] প্ৰথম অধিবেশনৰ সভাপতি ৰজনীকান্ত বৰদলৈৰ অভিভাষণ, **কুণ্ডিল**, চতুৰ্থ সংখ্যা, পৃঃ ২-১২।

[৫৯] আসাম চুতীয়া সন্মিলন ঃ চতুৰ্থ অধিবেশনৰ সভাপতিৰ অভিভাষণ আদি, ১৯২৯।



মূল্যৰ লাঘৱ নহ'লহেঁতেন। ভালকৈ নপঢ়া নুশুনাকৈ দুজন বা এজন চাহাবৰ অনুমানৰ ওপৰত নিৰ্ভৰ কৰি ইতিহাস থকা বহুকলীয়া পুৰণা জাতিক অযথা আক্ৰমণ কৰি বেজাৰ দিয়াটো ৰাজখোৱা ডাঙৰীয়াৰ যে ঘোৰ অন্যায় হৈছে তাক নুই কৰিব নোৱাৰি।'[৬০]

ৰুক্মিণীক কছাৰী জীয়ৰী বোলা ৰাজখোৱাৰ উক্তিৰ দোৰ্ঘোৰ প্ৰতিবাদ কৰি গোস্বামীয়ে কয়, 'এই মতটিনো ৰাজখোৱা ডাঙৰীয়াই ক'ৰ পৰা পালে কোনো প্ৰমাণ দিয়া হ'লে বুজিব পাৰিলোহেঁতেন। কোনো প্ৰমাণ উল্লেখ নকৰাকৈ ইমান ডাঙৰ কথা এষাৰ কোৱা তেখেতৰ ঘোৰ অন্যায় নুবুলি নোৱাৰোঁ। যি ৰুক্মিণীক আজি ৫০০০ বছৰৰ পৰা হিন্দু জাতিয়ে ভগৱতী বুলি ভাবি আহিছে, তেনে দেৱীক কছাৰী জীয়ৰী বুলি অন্যায় ইতিকিং কৰি লক্ষ লক্ষ হিন্দুৰ প্ৰাণত আঘাত দিয়াটো ৰাজখোৱাৰ নিচিনা বয়োবৃদ্ধ মানুহৰ পক্ষে কিমান যুক্তিসংগত হৈছে ৰাইজসকলে ভাবি চাব।'[৬১]

এই বক্তব্যবোৰত ফুটি উঠা কেতবোৰ ধাৰণা হ'ল ঃ (১) চুতীয়া আৰু কছাৰীৰ মাজত কোনো সম্পৰ্ক অসম্ভৱ।

(২) চুতীয়া সকল আৰ্য হিন্দু আৰু কছাৰীসকল অনাৰ্য অহিন্দু

(৩) ৰুক্মিণীৰ লগত কছাৰীসকলে কিবা সম্পৰ্ক দেখুৱাব খুজিলে সি হ'ব লক্ষ লক্ষ হিন্দুৰ প্ৰাণত অন্যায় আঘাত।

সামৰণিত গোস্বামীয়ে পুনৰ ন-দি কৈছিল 'চুতীয়া জাতিৰ লগত কছাৰী জাতিৰ কোনো সম্পৰ্ক নাই আৰু চুতীয়া জাতি ক্ষত্ৰিয়ৰ বাহিৰে অন্য কোনো জাতি বুলিব নোৱাৰি।'[৬২] কোৱা বাহুল্য যে এই বিশেষ অধিবেশন আৰু তাত দিয়া গোপীকাবল্লভ গোস্বামীৰ উক্ত সভাপতিৰ অভিভাষণ চুতীয়া সন্মিলনৰ বাবে একধৰণৰ নীতি-ঘোষণা (Policy Statement) ৰ দৰে হ'ল। একাদিক্ৰমে ছখন (পাঁচখন নিয়মিত আৰু এখন বিশেষ) অধিবেশনত পুনৰাবৃত্তি কৰা একেটা চিন্তাধাৰা আৰু দৃষ্টিভংগীৰ তাত্বিক সংহতকৰণ ঘটে গোস্বামীৰ এই অভিভাষণ-দলিলৰ মাজেৰে। ইয়াৰ পাছত পঞ্চম অধিবেশন অনুষ্ঠিত হ'লেও তাৰ সভাপতি ৰায়বাহাদুৰ বৃন্দাবন চন্দ্ৰ গোস্বামীয়েও গোপীকাবল্লভ গোস্বামীৰ আৰ্হিৰেই চুতীয়াসকল যে ক্ষত্ৰিয় তাকে দোহাৰে মাত্ৰ।[৬৩]

যিকি নহওক, পঞ্চম অধিবেশনৰ পিছত চুতীয়া সন্মিলনৰ সভাপতিৰ পদবীলৈ এনেবোৰ কাৰণতেই এটা চিৰস্থায়ী পৰিবৰ্তন আহিল। সভাপতিৰ আসন কিয় কেৱল বৰ্ণ হিন্দুসকলে শুৱাব আৰু চুতীয়াই নিজে সেই আসনৰ কাহানিও যোগ্য নহ'ব নেকি, এই প্ৰশ্নৰ মীমাংসা হিচাপে সভাপতিৰ আসনলৈ যোগ্য চুতীয়া ব্যক্তিকে মতা ঠিৰাং হ'ল। ১৯৩৫ চনৰ পৰা আজিলৈকে সেই ধাৰণাই বাহাল আছে। নিজা সম্প্ৰদায়ৰ ব্যক্তিৰে

[৬০] **সভাপতিৰ অভিভাষণ আদি, চতুৰ্থ অধিবেশন**, ১৯৩০, পৃঃ ৫৩-৫৪।

[৬১] ঐ, পৃঃ ৬৬।

[৬২] ঐ, পৃঃ ৬৮।

[৬৩] সদৌ চুতীয়া জাতি সন্মিলন ঃ **মৰাণ অধিবেশনৰ স্মৃতিগ্ৰন্থ**, মৰাণ, ১৯৭৯, পৃঃ ৪।

নিজা সংগঠনৰ নেতৃত্ব পূৰোৱা নিশ্চিত ভাৱেই আত্ম চেতনাৰ পৰিচায়ক। অৱশ্যে নিজা সম্প্ৰদায়ৰ হ'লেও একোজন ব্যক্তি বৰ্হিপ্ৰভাৱৰ, এই ক্ষেত্ৰত ব্ৰাহ্মণ্যবাদী প্ৰভাৱৰ, পৰা মুক্ত হয় নে নহয় সেয়া অন্য এক প্ৰসংগ।

আৰ্য অনাৰ্য বিতৰ্কৰ লগতে তাল মিলাই চুতীয়াসকলৰ পৰিচিতি সম্পৰ্কীয় এক প্ৰশ্ন আজিও ওলমি ৰৈছে। স্ব-আকাংক্ষিতই হওক বা অন্য আৰোপিতই হওক চুতীয়াসকল বৰ্ণহিন্দু হ'ব খোজাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। সেই সময়ত চুতীয়াসকলে অনুঃজাতিঙ্গ জনজাতি হ'বলৈতো বিচৰা নাছিলেই বৰং দেউৰীসকলৰ জনজাতি পৰিচিতিৰো বিৰোধিতাহে কৰিছিল। এই বিষয়ে কুল চুতীয়াই এনেকৈ জনাইছে - '১৯৩৫ চন। ইংৰাজ শাসনত ভাৰতবৰ্ষৰ জাতি, জনজাতিসকলক অনুসূচীত চিহ্নিত কৰাৰ উদ্দেশ্যে চাইমন কমিশ্যন গঠন হ'ল। চাইমন কমিশ্যনে পৰামৰ্শ আগবঢ়ালে চুতীয়া জাতিক অনুসূচীত জাতিত অন্তৰ্ভুক্ত কৰাৰ। চুতীয়া সন্মিলনে ইয়াৰ বিৰোধিতা কৰিলে। কাৰণ বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰে পৰা শাসনৰ বাঘজৰী ধৰি থকা ৰাজ শক্তি সম্পন্ন আদিবাসী জাতিক অনুসূচীত জাতিত অন্তৰ্ভুক্ত কৰাৰ যুক্তি নাই। কিন্তু এই খিনিতে চুতীয়া সন্মিলনৰ ফাট মেলিলে। ভীমবৰ দেউৰী চুতীয়া সন্মিলনৰ পৰা ফালৰি কাটিল।'[৬৩] মন কৰিব লগা কথা যে নিজে জনজাতি হোৱাটো দূৰৰ কথা, দেউৰীসকলকো জড়োপাসক (animist) ফৈদৰ পৰা আঁতৰাই হিন্দু পন্থাৰ ভিতৰত ভৰাই লোৱাৰ বাবেহে চেষ্টা চলোৱা হ'ল। আসাম চুতীয়া সন্মিলনৰ চতুৰ্থ অধিবেশন (১৯৩০)ৰ তৃতীয় প্ৰস্তাৱত এই বিষয়ে কোৱা হ'ল - 'যেহেতু আসামৰ দেউৰীবিলাক কোনো এক সুকীয়া সম্প্ৰদায় নহয় আৰু যিহেতু এতিয়া গভৰ্ণমেণ্টে সিবিলাকক জড়োপাসক বুলি লেখত ধৰে, আজিৰ সন্মিলনে প্ৰস্তাৱ কৰে যে এতিয়াৰ পৰা সিবিলাকক সুকীয়া এটা জড়োপাসক সম্প্ৰদায় নেপাতি চুতীয়াৰ অন্তৰ্ভুক্ত বুলি ধৰা হওক।'[৬৪]

কোৱা বাহুল্য যে দেউৰীসকলে এই আহ্বানৰ প্ৰতি কোনো সঁহাৰি জনোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। তেওঁলোকে জড়োপাসক-জনজাতিৰূপে অনুসূচীত হৈয়ে থাকিল।

প্ৰাপ্ত তথ্যৰ ভিত্তিত ১৯৩৫ চনৰ পৰা অন্ততঃ দুই দশক জুৰি চুতীয়াসকলক বৰ্ণহিন্দু বুলি গণ্য কৰা হৈছিল বুলি ধাৰণা হয়। এই খিনিতেই মন কৰিবলগীয়া যে নিজা দাবী অনুসৰিয়েই গোপীকাবল্লভ গোস্বামীৰ দৰে লোকসকলে দেখুৱা পথেৰে গৈ চুতীয়াসকল বৰ্ণহিন্দু হৈছিল। কিন্তু এঘাৰ বছৰৰ ভিতৰতে তেওঁলোক বৰ্ণহিন্দু ভাৱত অতীষ্ঠ হৈ পৰিল। স্বাধীনতাৰ উপকণ্ঠত বৈ তেওঁলোকে বৰ্ণহিন্দুৰ তালিকাৰ পৰা

[৬৩] কুল চুতীয়া ঃ চুতীয়া সন্মিলনৰ চমু ইতিবৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী, স্মৃতিগ্ৰন্থ, সদৌ অসম চুতীয়া জাতি সন্মিলন, (কমাৰবন্ধা, ১৯৮৯), পৃঃ ৩৩।

[৬৪] আসাম চুতীয়া সন্মিলন ঃ চতুৰ্থ অধিবেশন, সভাপতিৰ অভিভাষণ আদি, পৃঃ ৪৪।



তেওঁলোকক বাহিৰ কৰাৰ দাবী তুলিলে। ১৯৪৬ চনত প্ৰদত্ত এক স্মাৰকপত্ৰত তেওঁলোকে স্পষ্টকৈয়ে ক'লে - 'Inter marriage and inter dining are still prohibited with others of the Caste Hindus though politically the Chutias are calculated to be a part of the so-called Caste Hindu Group.'।[৬৫] অন্যান্য বৰ্ণ হিন্দুসকল তথা চৰকাৰৰ বিৰুদ্ধে অৱহেলাৰ অভিযোগ সুস্পষ্টকৈ উত্থাপন কৰি এই স্মাৰকপত্ৰত কোৱা হৈছিল - 'The Chutias are long suffering these silent miseries without any redress and encouragement from the Govt. and sympathy from the advanced brothers and leaders of the Caste Hindus... Not only the Government is indifferent but their other Caste Hindu brothers in power are also taking no notice of the sad lot of Chutias and are not raising a voice on their behalf. Their condition is far worse. than that of the Depressed Classes or the Tribals whom we generally think to be the most undeveloped and most backward.'।[৬৬] বৰ্ণহিন্দুত্বই সাধন কৰা এনে ক্ষতিৰ উপলব্ধিৰে চুতীয়া সন্মিলনে সেয়েহে বিচাৰিলে - 'a separate political existence and political rights as a minority in statutory form in the new Constitutional machinery to be set up'.।[৬৭]

ইয়াৰ পৰা দেখা যায় যে ২০-১২-১৯৪৬ তাৰিখে অৰ্থাৎ আসন্ন স্বাধীনতাৰ দুৱাৰদলিত বৈ অনাগত সংবিধানৰ পৰা চুতীয়াসকলে মাত্ৰ বিচাৰিলে (১) এসময়ত নিজে আকাংক্ষ্যা কৰা বৰ্ণহিন্দু 'মৰ্যাদা'ৰ অৱসান আৰু (২) পাছপৰা সংখ্যালঘুৰূপে স্বীকৃতি আৰু সুৰক্ষা।[৬৮]

১৯৫৩ চনত প্ৰদত্ত চুতীয়াসকলৰ পৰবৰ্তী স্মাৰকপত্ৰৰ পৰাও দেখা যায় যে তেওঁলোকে বৰ্ণহিন্দুত্বৰ বন্দীত্বৰ পৰা মুক্তি পাবলৈ যুঁজিয়েই যাব লগা হৈছে। ১৯৫৩ চনত অসমলৈ অ হা অনুন্নত সম্প্ৰদায় তদন্ত আয়োগৰ সমুখত প্ৰদত্ত সদৌ অসম চুতীয়া সন্মিলনৰ স্মাৰকপত্ৰখনৰ প্ৰথম বাক্যটোৱেই আছিল - 'অসমত চুতীয়া সম্প্ৰদায়টোৱেই আটাইতকৈ অনুন্নত আৰু পিচপৰা জাতি... চুতীয়াসকলক বৰ্তমানৰ চৰকাৰৰ ফালৰ পৰা বৰ্ণহিন্দুৰ লগত ৰাখিছে যদিও দুৰ্ভাগ্যবশতঃ তেওঁলোকে বৰ্ণহিন্দুৰ অন্যকেইটা

[৬৫] **Memorandum on the demands of the Chutias of assam as a Backward Miniority,** 1946, p.5.

[৬৬] *ibid.*, p. 8-9.

[৬৭] *ibid.*, p. 12.

[৬৮] চুতীয়া সন্মিলনৰ ১৯৯৭ চনৰ মৰাণ অধিবেশনৰ স্মৃতিগ্ৰন্থৰ সম্পাদকীয়ত কোৱা হয় - 'তাহানি ব্ৰিটিছৰ দিনতে চুতীয়া জাতি ভৈয়াম অনুসূচীত জনজাতিৰ তালিকাযুক্ত (?) আছিল যদিও সেই সময়ৰ সদৌ চুতীয়া সন্মিলনে (বোধহয় ১৯৩৫) দাবী উত্থাপন কৰি বৰ্ণহিন্দুৰ শাৰীলৈ উন্নীত কৰালে, কিন্তু ফলত আমাৰ জাতো গ'ল পেটো নভৰিল অৰ্থাৎ উত্তৰ পুৰুষে মাচুল ৰেহাই, কাৰিকৰী শিক্ষা আৰু চাকৰি আদিৰ আসন সংৰক্ষণৰ পৰা বঞ্চিত হ'ব লগা হ'ল'।

জাতিৰ লগত বিয়াবাৰু বা খোৱা বোৱা আদিত লগ লাগিব পৰা সুবিধা ঘটনা নাই।'[৬৯] স্মাৰকপত্ৰখনত তেওঁলোকক অনুসূচীত জনজাতিৰূপে স্বীকৃতি দিবলৈ দাবী জনোৱা হৈছিল। কিন্তু সেই স্মাৰকপত্ৰৰ জনজাতিকৰণৰ দাবী বোধহয় ক্ষণস্থায়ী আছিল কাৰণ ১৯৬৯-৭০ চনত অৰ্থাৎ লক্ষীনাথ শইকীয়া সভাপতি আৰু কুল চুতীয়া প্ৰধান সম্পাদকৰ কাৰ্যকালত যুগুতোৱা আন এখন স্মাৰকপত্ৰত চুতীয়াসকলক অত্যন্ত পিছপৰা শ্ৰেণী হিচাপে স্বীকৃতি দিয়াৰ দাবীহে উত্থাপিত হৈছিল। তাত দাবী কৰা হৈছিল - 'to declare the Chutias as the Most Backward community; the areas which are majority in population by the inhabitants of Chutias should be selected ... Free education .. Reservation of seats both in the technical and medical education.'[৭০]

উক্ত স্মাৰকপত্ৰ প্ৰদানৰ তিনিবছৰ পিছতো অসমৰ তেতিয়াৰ কংগ্ৰেছ চৰকাৰে চুতীয়াসকলৰ হকে বিশেষ কোনো ব্যৱস্থা নোলোৱাত আক্ষেপ কৰি সপ্তদশ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণত ক'ব লগা হয় - '১৯৬৯ চনত বৰপথাৰ অধিবেশনত প্ৰস্তুত কৰা স্মাৰক পত্ৰ চলিহা মন্ত্ৰীসভাই কোনো ব্যৱস্থা নোলোৱাত পুনৰ সেই স্মাৰকপত্ৰ প্ৰসংগত আমাৰ সঁজাতি দলে মুখ্যমন্ত্ৰী (মহেন্দ্ৰ মোহন) চৌধুৰীক ১৯৭১ চনৰ জানুৱাৰী আৰু নবেম্বৰত দুবাৰ সাক্ষাৎ কৰে। আমাৰ দাবী আছিল চুতীয়া জাতিক অতি পিচপৰা হিচাপে (Most Backward) গণ্য কৰি শিক্ষা, নিয়োগ, ভূমি, বিতৰণ, যাতায়ত, স্বাস্থ্য আদি বিষয়ত এই দুৰ্বল শ্ৰেণীটোক আগবাঢ়ি যাবলৈ বিশেষ সুবিধা দিয়া। আমাৰ প্ৰচেষ্টা সম্পূৰ্ণ ফলৱতী নহ'লেও বৰ্তমান ৰাজ্যিক চৰকাৰে চুতীয়াসকলক শিক্ষাৰ ক্ষেত্ৰত বেচি পিচপৰা (More Backward) বুলি স্বীকৃতি দিছে অৱশ্যে ইয়াৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া কেনে হয়, তাৰ বাবে অপেক্ষা কৰা হৈছে।'[৭১] অৱশ্যে অ'বিচি-এমঅ'বিচিৰ স্বীকৃতিয়েও চুতীয়াসকলৰ সুগভীৰ বঞ্চনা আৰু অপমানৰ অৱসান ঘটাব নোৱাৰিলে। এই স্বীকৃতিৰ স্বৰূপ সম্পৰ্কেও (ড°) পৱন চন্দ্ৰ শইকীয়াই আগতীয়াকৈয়ে ক'লে - 'ঘাইকৈ হিন্দু চুতীয়াসকলক অসমৰ অন্যান্য পিচপৰা জাতি সমূহৰ লিষ্টত অন্তৰ্ভুক্ত কৰোৱাই এটা ডাঙৰ ভুল কৰিলে। ইয়াৰ ফলত অসমীয়া সমাজৰ উচ্চ শ্ৰেণীৰ মাজত সমানে খোজ মিলাব নোৱাৰিলে আৰু দ্বিতীয়তে জনজাতি (tribe) হিচাপে ভাৰতীয় সংবিধানৰ পৰা যিখিনি সুবিধা চৰকাৰে দিছে সেইখিনিৰ পৰাও বঞ্চিত হ'ল।'[৭২]

মাজৰ সময়ছোৱাত চুতীয়া সন্মিলনৰ মাজত জনজাতিকৰণৰ দাবী সম্পৰ্কে

---

[৬৯] চুতীয়া সম্প্ৰদায়ৰ তৰফৰ পৰা অনুন্নত সম্প্ৰদায় তদন্ত আয়োগলৈ পঠোৱা স্মাৰকপত্ৰ, যোৰহাট, ১৯৫৩।

[৭০] Memorandum on the demands of Chutias of as a most backward and unrepresented community, Amguri, 1969.

[৭১] গোলোকচন্দ্ৰ বড়াঃ সভাপতিৰ অভিভাষণ, সপ্তদশ বাৰ্ষিক অধিবেশন, বৰুৱাগাঁও, ১৯৭২, পৃঃ ১২।

[৭২] ড° পৱন চন্দ্ৰ শইকীয়াৰ অভিভাষণ ঃ **চুতীয়া (চ'তীয়া)ৰ বিপৰ্যয়, ষষ্ঠদশ অধিবেশন**, চৰাইবাহী, ১৯৭০, চন।



চিন্তাচৰ্চা যেনেকৈ চলিছিল, তেনেকৈ তাৰ বিৰুদ্ধবাদী মতো পৰিলক্ষিত হৈছিল। উদাহৰণস্বৰূপে, সদৌ অসম চুতীয়া সন্মিলনৰ চতুৰ্দশ অধিবেশন (পীড়াকটা,১৯৬৮) উপলক্ষ্যে অনুষ্ঠিত ছাত্ৰ সভাৰ সভাপতিৰ অভিভাষণত (ড°) পদ্মধৰ শইকীয়াই কয় - 'অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত অসমৰ জনজাতি লোকসকলতকৈও পাছপৰা যদিও চুতীয়া জাতি জনজাতি নহৈ এটা অন্যান্য পাছ পৰা জাতি বুলি পৰিগণিত হ'ল। এতিয়াও এই জাতিৰ বহুতে আক্ষেপ কৰে চুতীয়া জাতি জনজাতি বা tribal বুলি গণ্য হোৱা হ'লে বহুতো সা-সুবিধা পোৱা হ'লহেঁতেন। চুতীয়া জাতিক জনজাতি বুলি গণ্য কৰিবলৈ চেষ্টা নকৰাৰ বাবে আগৰ নেতৃস্থানীয় লোকক বহুতে দোষাৰোপ কৰে। কিন্তু অসমত এনে এটা সময় আহিছিল যেতিয়া বহুত জনজাতিয়ে নিজকে হিন্দু বুলি চিনাকি দি গৌৰৱ অনুভৱ কৰিছিল। তথাকথিত উচ্চজাতিৰ মানুহৰ জীৱন ধাৰাৰ লগত নিজকে মিলাই দিবলৈ চেষ্টা কৰিছিল। ইয়াক সংস্কৃতকৰণ (Sanskritisation) বোলা হয়। স্বাধীনতাৰ পাছত জনজাতি সমূহৰ উন্নতিৰ বাবে বহুতো সা-সুবিধা আগবঢ়োৱাত এই গতিত বাধা পৰিল। কেৱল কিছুমান সা-সুবিধা পোৱাৰ বাবেই এটা জাতি, জনজাতি হোৱা বহুতেই অন্তৰেৰে গ্ৰহণ কৰিব নোৱাৰে। তেনে কৰাৰ সম্ভাৱনাও একেবাৰে ক্ষীণ।'[৭৩]

এয়া যে কেৱল (ড°) পদ্মধৰ শইকীয়াৰ বা কেৱল ১৯৬৮ চনৰে কথা নাছিল তাৰ প্ৰমাণ পোৱা যায় চুতীয়া সন্মিলনৰ প্ৰাণ-পুৰুষ ভ্ৰমৰচন্দ্ৰ শইকীয়াৰ পুত্ৰ তথা **ভ্ৰমৰ** আলোচনীৰ সম্পাদক মোহনৰাম শইকীয়াৰ এই স্থিতিত - '১৯৭৪ চনত কমাৰবন্ধা হাজৰিকা চুক নামঘৰত অনুষ্ঠিত হোৱা সদৌ অসম চুতীয়া সন্মিলনৰ কাৰ্যনিৰ্বাহক বৈঠকত জাতিটোক জনজাতি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তেখেতে ইয়াৰ প্ৰতিবাদ জনাই কৈছিল, 'জাতি এটা নামে কামে ওপৰলৈ উঠোৱাৰ প্ৰচেষ্টা চলাব লাগে। তললৈ নমোৱাৰ কথা ভাবিব নালাগে।'[৭৪]

অৱশ্যে এই অধিবেশনত জনজাতিকৰণৰ প্ৰস্তাৱ গৃহীত হোৱাৰ তথ্য পোৱা নাযায়। বোধহয় সেই বৈঠকত প্ৰস্তাৱটো উত্থাপিত-আলোচিতহে হৈছিল। তথাপি উক্ত দুই বক্তব্যই জনজাতিকৰণৰ সম্পৰ্কত হোৱা বিতৰ্কৰ আভাস দিয়ে। জনজাতিকৰণৰ সম্পৰ্কে চিন্তা চৰ্চা চলি থাকিলেও ১৯৭৬ চনৰ মৰাণ অধিবেশনত 'সদৌ অসম চুতীয়া সন্মিলন'ৰ নামৰ পৰিবৰ্তন ঘটাই 'সদৌ অসম চুতীয়া জাতি সন্মিলন' দিয়া হয়। নিয়মাৱলীৰ সেই মৰ্মে সংশোধন ঘটোৱা হয়। জনজাতিকৰণৰ বিপৰীতে হিন্দু জাতি-বৰ্ণ-প্ৰথাৰ অন্তৰ্ভুক্ত হোৱাৰ বাবেই ই হয়তো এক পদক্ষেপ আছিল। সেয়েহে পৰবৰ্তী কালত ই এক ভুল পদক্ষেপ বুলি একাংশই ক'ব খোজে।

---

[৭৩] ড° পদ্মধৰ শইকীয়া ঃ **ছাত্ৰ সভাৰ সভাপতিৰ অভিভাষণ** (পীড়াকটা, ১৯৬৮), পৃঃ ৭, (ড° দুৰ্গেশ্বৰ বৰাৰ দ্বাৰা প্ৰকাশিত)।

[৭৪] জীতেন বৰা ঃ **মোহনৰাম শইকীয়াদেৱৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি**, পৃঃ ১২।

১৯৭৯ চনৰ ১৭ জুনত যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত চুতীয়া সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰথম প্ৰস্তাৱৰ ভিত্তিত ৰজিতা খুৰাই ১৯৮০ চনত প্ৰধানমন্ত্ৰীক প্ৰদত্ত এক স্মাৰকপত্ৰত দাবী তোলা হয় -

(১) Making available to the Chutias all the constitutional privileges granted to the scheduled tribes in consideration of the most backwardness of the Chutias in all respects of socio economic life.'

(২) The inclusion of the Chutias in the plains tribes list of Assam. In consideration of the fact the Chutias were and are of the same origin as that of the plains Tribes of Assam and other adjoining states of North East India.[৭৫]

এই বক্তব্যৰ সমৰ্থনত বি. চি. এলেন চাহাবক উদ্ধৃত কৰি কোৱা হয় - 'The early history of the Chutias is not much known, but they are believed to be members of the great Bodo race and to have entered the plains from the north east.'[৭৬]

মন কৰিবলগীয়া যে চুতীয়া সন্মিলনৰ ১৯৮০ চনৰ এই বক্তব্যই ঠিক ৫৯ বছৰৰ আগৰ ৰায় বাহাদুৰ গোপীকাবল্লভ গোস্বামীৰ বক্তব্যৰ বিপৰীত অৱস্থান লয়।[৭৭] এনেকৈয়ে ঠিক অৰ্দ্ধশতিকাৰ (১৯২৯-১৯৮০) ভিতৰত চুতীয়াসকলৰ চিন্তা চৰ্চাই বৰ্ণহিন্দুত্বৰ পৰা জনজাতীয়তা অভিমুখে গতি কৰিছিল। তাৰ লগত জড়িত আৰ্থ সামাজিক বিষয়বিলাকে অৱশ্যেই গভীৰ চিন্তাৰ খোৰাক যোগায়।

প্ৰচাৰ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। ই জনগণৰ হাতত এক মোক্ষম শক্তি। সমাজৰ বিভিন্ন শ্ৰেণীয়ে বিভিন্ন আশা-আকাংক্ষ্যা ব্যক্ত কৰিবলৈ এই মাধ্যমক কামত লগায়। কিন্তু দুৰ্ভাগ্যবশতঃ প্ৰতিষ্ঠিত প্ৰচাৰ মাধ্যমেও কেতিয়াবা সমাজৰ দলিত-নিপীড়িত সকলৰ মৰ্মবেদনা প্ৰতিফলিত কৰিবলৈ অক্ষম হয়। তেতিয়া তেওঁলোকে গঢ়ি তুলিব লগা হয় নিজা, সমান্তৰাল সংবাদ মাধ্যম; সি হৈ পৰে এক সংগঠন তথা সংগঠক। অসমৰ বিভিন্ন জনগোষ্ঠী, সম্প্ৰদায়ে বিগত সময়ছোৱাত নিজা নিজা সম্প্ৰদায়ৰ বহু মুখপত্ৰ প্ৰকাশ কৰি আহিছে। সেইদৰে চুতীয়াসকলৰো একাধিক মুখপত্ৰ/আলোচনী প্ৰকাশ পোৱাৰ কথা জনা যায়। তাৰ ভিতৰত আছে

৭৫ **Memorandum to Prime Minister on Scheduling**, 1980, P-7

৭৬ B.C. Allen in **Assam District Gazetter**, Lakhimpur, Vol. VIII, 1905, quoted in the above memorandum

৭৭ কাৰণ ১৯২৯ চনৰ বিশেষ অধিবেশনৰ সভাপতিৰ অভিভাষণত গোস্বামীয়ে বি. চি. এলেনৰ ঠিক সেই উদ্ধৃতিৰে 'believed to be' শব্দ কেইটাক লৈ ব্যংগ কৰি চুতীয়াসকলৰ জনজাতীয়তা বা বড়োসকলৰ লগত সম্পৰ্কক পানী নসৰকাকৈ নাকচ কৰিছিল।



মোহনৰাম শইকীয়া, সোণাৰাম চুতীয়া আদিৰ দ্বাৰা সম্পাদিত **ভ্ৰমৰ** (১৯৪৭-ৰ পৰা) আৰু ভৱকান্ত চুতীয়া সম্পাদিত **কুণ্ডিল**।

**ভ্ৰমৰ ঃ চুতীয়া সন্মিলনৰ প্ৰথম মুখপত্ৰ ঃ**

আসাম চুতীয়া সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ পুণ্যস্মৃতিত উছৰ্গিত ভ্ৰমৰ নামৰ তিনিমহীয়া সচিত্ৰ সাহিত্য-সমাজ-সংস্কৃতিমূলক আলোচনীখন আছিল সন্মিলনৰ মুখপত্ৰস্বৰূপ। ইয়াৰ জন্ম প্ৰক্ৰিয়া সম্পৰ্কে আলোচনীখনৰ প্ৰথম সংখ্যাতে এনেকৈ প্ৰকাশ পাইছিল -

'... একোজন পুৰুষৰ একো আঁজোৰত
বহু যুগ আগবাঢ়ি যায়,
একোজন পুৰুষৰ একোটি ঠেলাই
বহুকাল সংসাৰ চলায়'।

সন্মিলনৰ প্ৰতি ৰাইজৰ আস্থা, আগ্ৰহ, স্বজাতি দৰ্শনৰ হেঁপাহ চুতীয়া ৰাইজৰ মাজত কিমান দ্ৰুতবেগেৰে বাঢ়িছে, তাৰ উল্লেখ কৰি এই সম্পাদকীয়ত **'ভ্ৰমৰ'**ৰ সম্পাদনা সম্পৰ্কীয় নীতি এনেকৈ ঘোষণা কৰা হৈছিল - 'আমাৰ নিবেদন ঃ ভ্ৰমৰৰ জন্ম সাম্প্ৰদায়িক মুখপত্ৰ স্বৰূপে হ'লেও আমাৰ লক্ষ অসম অসমীয়াৰ। অসমৰ এটি সম্প্ৰদায়ৰ মাণিক হৈ ওপজা ভ্ৰমৰৰ গুণ পূজাৰ কাৰণেই সম্প্ৰদায়ে কৃতজ্ঞতা জনোৱা এই উদ্যোগত সদৌ অসমবাসীৰ আমি সহায়-সহানুভূতি বাঞ্চা কৰোঁ। স্বৰ্গীয় ভ্ৰমৰ শইকীয়া কেৱল চুতীয়া সম্প্ৰদায়ৰে নহয় অসম কাননৰো এপাহি ফুল, সদ্যজাত ভ্ৰমৰেও স্বৰ্গীয়জনৰ স্মৃতি স্থায়ী কৰি ভাষা জননীৰ চৰণ বন্দনা কৰিবলৈ যাতে সুযোগ সুবিধা পায় তাৰ বাবে সমূহ অসমীয়া ভাষা-ভাষী ৰাইজলৈ সহায় সহানুভূতিৰ আহ্বান জনালোঁ।'

প্ৰথম সংখ্যাৰ প্ৰথম পৃষ্ঠাৰ প্ৰথম শাৰীৰ পৰাই আৰম্ভ হোৱা মহেশ্বৰ চুতীয়াৰ 'জাগৰণ' নামৰ কবিতাটোতেই ফুটি উঠিছে চুতীয়াসকলৰ সিদিনাৰ আত্ম চেতনাৰ আভাস-

'তুমি নেকি প্ৰজা চুতীয়াৰ,
অসমৰ পাল শদিয়াৰ
চিন য'ত আছে তেতিয়াৰ
ৰাজধানী চুতীয়া ৰজাৰ?'...

কিন্তু দ্বিতীয় সংখ্যাৰ পৰাই **ভ্ৰমৰ**ৰ লেখকসূচীত কিছু কিছু পৰিবৰ্তন পৰিলক্ষিত হয়। এই সংখ্যাত বাপুজীৰ বাণী, ডিম্বেশ্বৰ নেওগৰ 'জগতৰ সাংস্কৃতিক ঐক্য', ইন্দিবৰ গগৈৰ গল্প, হৰিপ্ৰসাদ শৰ্মা অধ্যাপক পাণ্ডেয় বেচন শৰ্মা আদিৰ অনুবাদ; আজলীতৰা নেওগ আদিৰ লেখনীৰে এই সংখ্যাত অনা-চুতীয়া লেখকৰ সংখ্যা আৰু প্ৰভাৱ বাঢ়ি অহা দেখা যায়। তথাপিও বেণুধৰ শৰ্মাৰ 'অসমীয়া সংস্কৃতিত চুতীয়াৰ ছাপ' শীৰ্ষক

আঠ পৃষ্ঠা জোৰা সুদীৰ্ঘ প্ৰৱন্ধটোত চুতীয়াসকলক প্ৰেৰণা দিব পৰা বহু কথাই আছিল।

এইখিনিতে বিশেষ প্ৰণিধানযোগ্য এই যে অসম চুতীয়া সন্মিলনৰ সিদ্ধান্তমৰ্মে ১৮৭০ শক অৰ্থাৎ ১৯৪৮ চনৰ ৭ ব'হাগৰ পৰাই অসমৰ ঠায়ে ঠায়ে ৰাজহুৱা ভাৱে 'সাধনী উৎসৱ' পালনৰ আৰম্ভণি ঘটে। অৱশ্যে চুতীয়া সন্মিলনৰ অন্যতম জ্যেষ্ঠ কৰ্মী, পীড়াকটাৰ গোপী শইকীয়াৰ তথ্যমতে ১৯২৯ চনৰ পৰাই অসমৰ বিভিন্ন ঠাইত সাধনী দিৱস পালন হয়। এই সংখ্যাত প্ৰকাশিত স্বৰ্গীয় ভুবাম বৰুৱাৰ 'ৰাণী সাধনী' আৰু ৰূপৰাম দাসৰ 'হুঁচৰি গীত চুতীয়াসকলৰ ঐতিহ্য' বোলা প্ৰৱন্ধই নিঃসন্দেহে চুতীয়া আত্ম-চেতনা গঢ়াত বৰঙণি যোগাইছিল। এই সংখ্যাতে 'মহিলাৰ মেল' শিতানত প্ৰকাশ পাইছিল অসম চুতীয়া সন্মিলনৰ সপ্তম অধিবেশন (মৰাণ)ৰ মহিলা সভাৰ সভানেত্ৰী সুৱৰ্ণবালা বৰাৰ অভিভাষণ। তৃতীয় সংখ্যাতহে শেষ হোৱা এই অভিভাষণত বোৱা-কটা-শিক্ষা-দীক্ষা আদি বিষয়ত (চুতীয়া) মহিলাসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হৈছিল। এইখন অভিভাষণৰ সামৰণিত কোৱা হৈছিল 'বিংশ শতিকাৰ যি পোহৰ, সেই পোহৰৰ পৰা আমাৰ মহিলা সমাজ বহুত পিছত। তাতোকৈ পিছ পৰা আমাৰ জাতীয় মহিলাসকল। এতিয়াও আমালোকৰ প্ৰায় সকলোৱেই অন্ধকাৰ জগততে আছো। সেইবাবে মই আপোনালোকক স্বজাতীয় বাই-ভনী বুলি ইয়াকেই ক'বলৈ বিচাৰিছোঁ। আপোনালোক সকলোৱে উপযুক্ত শিক্ষা লাভ কৰি জগতৰ উন্নত সমাজৰ মহিলা সকলৰ লগত ঠাই পাবলৈ যত্নবান হওক।'

প্ৰথম বছৰ চতুৰ্থ সংখ্যা (১৮৭১ শক, ৰঙালী সংখ্যা ১৯৪৯ চন) ভ্ৰমৰৰ লেখক সূচী আৰু বিষয়বস্তু কোনোটোতেই ইয়াৰ চুতীয়া জনগোষ্ঠীগত-সাংগঠনিক চৰিত্ৰৰ বিশেষ কোনো চাপ দেখা নগ'ল। আশ্চৰ্যজনক ভাৱে এই সংখ্যাত চুতীয়া সম্প্ৰদায় বা চুতীয়া সংগঠন সম্পৰ্কে এটা লেখনীহে নালাগে, এটা বাক্য, এটা শব্দও প্ৰকাশ নাপালে। এয়া লেখকৰ অভাৱৰ বাবেই, নে লেখনীৰ অভাৱৰ বাবেই, নে সম্পাদনাৰ নীতি পৰিবৰ্তনৰ বাবেই বুজা নগ'ল। সেই কথা পৰৱৰ্তী সংখ্যাবোৰৰ পৰ্যালোচনাত নিশ্চয় স্পষ্ট হ'ব।

**ভ্ৰমৰ**ৰ দ্বিতীয় বছৰ প্ৰথম সংখ্যাৰো (ভোগালী সংখ্যা, জানুৱাৰী ১৯৪৯ চন) বেছি ভাগ বিষয়বস্তু ধৰ্ম, সমাজ, সংস্কৃতি, অৰ্থনীতি সম্পৰ্কীয় আৰু চুতীয়া লেখকৰ সংখ্যা নগণ্য আছিল। এই সংখ্যাৰ সম্পাদকীয়ত ১। সাম্প্ৰদায়িকতা, ২। গুৰুঘৰীয়া, ৩। এঘাৰদিনীয়া-মাহেকীয়া, ৪। দলীয় ৰাজনীতি আৰু ৫। অন্ধ বিশ্বাস - এই পাঁচোটা বিপদৰ বিৰুদ্ধে সংগ্ৰামৰ আহ্বান জনোৱাৰ লগতে আমোলাতন্ত্ৰৰ বিৰুদ্ধেও অভিযোগ উত্থাপন কৰি চুতীয়া সন্মিলনৰ লগত সম্পৰ্ক পুনৰ এনেকৈ ঘোষণা কৰা হৈছিল - 'ভ্ৰমৰে সোণ-ৰূপৰ চৰুত হাত দি জন্ম গ্ৰহণ কৰা নাই, বা কোনো দল সম্প্ৰদায়ৰ স্বাৰ্থ সিদ্ধিৰ দলীয় ভাৰ পোষণ কৰিও ওলোৱা নাই। অসম চুতীয়া সন্মিলনৰ দ্বাৰা সংগৃহীত ভ্ৰমৰ পুঁজিৰ যৎসামান্য অৰ্থৰ সম্বল লৈয়ে অসমীয়া সাহিত্যৰ আৱশ্যকীয় সম্ভাৰ আহৰণ



কৰি পাঠক-পাঠিকাৰ আহৰি সময়ৰ লগৰী হোৱা আৰু সাহিত্য চৰ্চাৰ মহান আদৰ্শ লৈয়েই জন্ম। গতিকে অসমীয়া সাহিত্যসেৱী মাত্ৰেই ইয়াৰ পৃষ্ঠপোষক আৰু গ্ৰাহক-গ্ৰাহীকাই ইয়াৰ জীৱন।'

এইদৰেই চুতীয়া সন্মিলনৰ মঞ্চত জন্ম লভিও ভ্ৰমৰে এক সাৰ্বজনীন আবেদন জনাইছিল আৰু তাৰ উপযুক্ত সঁহাৰিও পাবলৈ সক্ষম হৈছিল। দ্বিতীয় বছৰ দ্বিতীয় সংখ্যাত (ৰঙালী সংখ্যা, ১৮৭২ শক, ১৯৫০ চন) **ভ্ৰমৰ**ৰ বাবে "প্ৰগতিমূলক জাতি গঠনৰ উপযোগী গল্প, কবিতা, বৈজ্ঞানিক প্ৰৱন্ধ, অনুবাদ সাহিত্য, বুৰঞ্জীৰ আলোচনা, বিবিধ মৌলিক আৰু সাময়িক প্ৰৱন্ধ' আহ্বান কৰা হৈছিল। সেই আহ্বানৰ সঁহাৰি মৰ্মে প্ৰাপ্ত লেখনীৰ ভিতৰত বিশিষ্ট সাহিত্যিক পাছত সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত নলিনীধৰ ভট্টাচাৰ্যৰ 'কেৰপাই' গল্পও আছিল।

**'জাতীয়' টোটেম ঃ**

ড° দামোদৰ ধৰ্মানন্দ কৌশাম্বীয়ে তেওঁৰ সুবিখ্যাত **ভাৰতৰ ইতিহাস** গ্ৰন্থত বিভিন্ন গোষ্ঠী গোত্ৰৰ টোটেমবিলাকৰ সম্পৰ্কত এক চিন্তাকৰ্ষক ব্যাখ্যা আগবঢ়াইছে। সমাজতাত্বিকসকলৰ টোটেম জনিত ব্যাখ্যাতো আছেই। চুতীয়াসকলৰ আত্ম চেতনা বিকাশৰ ক্ষেত্ৰতো মেকুৰীৰ টোটেমে এক তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছে। সাধাৰণতে জনজাতীয় গোতসমূহৰ ক্ষেত্ৰত বিভিন্ন পক্ষী-পশু-গছলতা ফলমূলৰ এনে টোটেম গৃহীত হয়, যি অবধ্য বা অভক্ষ্য হয়। সেই প্ৰক্ৰিয়াত সি আৰাধ্য দেৱতাতো পৰিণত হবগৈ পাৰে।

চুতীয়াসকলৰ মেকুৰী জনিত চেতনা আৰু তাৰ লগত জড়িত গোষ্ঠী-জনজাতীয় জীৱনৰ স্মৃতি সম্প্ৰদায়টোৰ অতীত ইতিহাসৰ অনুসন্ধানত এক সঁচাৰ কাঠী হ'ব পাৰে। এইখিনিতে মন কৰিবলগীয়া যে মেকুৰী কোনো আৰ্য দেৱ-দেৱীৰ বাহন বা তেওঁলোকৰ লগত জড়িত নহয়। এতেকে মেকুৰীৰ সম্পৰ্ক যে আৰ্য ভিন্ন কোনো আদিম জনজাতীয় সমাজৰ লগত আছিল তাত সন্দেহ নাই।

মেকুৰীৰ লগত আৰ্যসকলৰ কোনো সম্পৰ্ক নথকাৰ বিপৰীতে কছাৰীসকলৰ, বিশেষকৈ সোণোৱাল কছাৰীসকলৰ সম্পৰ্ক মন কৰিবলগীয়া। কছাৰী বুৰঞ্জীত ড° সূৰ্যকুমাৰ ভূঞাই উল্লেখ কৰিছে - '... শদিয়াৰ মাণিক নামৰ এজন কছাৰীৰ ঘৈণীয়েকে মহাদেৱৰ কৃপাত এক ক'লা মেকুৰী জন্ম দিয়ে, যিটো সৱিয়হৰ ডুলীত থোৱাত সোণৰ মেকুৰীত পৰিণত হয়। সেই মেকুৰীৰ প্ৰভাৱত মাণিক ৰজা হৈ শদিয়াৰ পৰা দিখৌ মুখলৈ শাসন কৰে। মাণিকৰ পুতেক নাছিল, জীয়েকহে আছিল। জীয়েকক বিয়া দিয়া হয় মুকুতা নামেৰে আন এজন কছাৰীলৈ। মুকুতাৰ পৰামৰ্শমতে জীয়েকে সোণৰ মেকুৰীৰ বাবে ৰোহ পতাত মাণিকে সোণৰ মেকুৰীৰ সমন্বিতে ৰাজ্যভাৰ গতাই দি মুকুতাক ৰজা

পাতিলে।'[৭৮] এই কাহিনীৰ লগত সাধনী-নীতিপাল-চুতীয়াৰ সোণৰ মেকুৰীৰ কাহিনীৰ সাদৃশ্য মন কৰিবলগীয়া। ললিত চুতীয়াৰ মতে, 'চুতীয়া আৰু সোণোৱাল কছাৰীৰ সাংস্কৃতিক ঐতিহ্যত মেকুৰী এতিয়াও টোটেম হিচাপে গণ্য হয়। চুতীয়াসকলৰ মাজত এতিয়াও মেকুৰী মাৰিব নেপায়, বিশেষকৈ ক'লা মেকুৰী মাৰিলে তাৰ সলনি সোণৰ মেকুৰী দিব লাগিব এনে বিশ্বাস বিদ্যমান।'[৭৯]

মেকুৰীৰ এই প্ৰতীকে যে চুতীয়া মননক চিৰদিন আচ্ছন্ন কৰি ৰাখিছে, তাৰ প্ৰমাণ তলৰ আখ্যান কেইটাৰ পৰাই পোৱা যায় - 'শিৱসাগৰ জিলাৰ জয়ৰাপাৰত থকা দেও ঘৰটো প্ৰতিষ্ঠা কৰিছিল চুতীয়া নেতা জয়ে, ১৪ শতিকাৰ শেহভাগত। সেই দেওঘৰত শিৱ আৰু কেঁচাইখাতী মূৰ্তি প্ৰতিষ্ঠা কৰি দুয়ো কাষে দুটা মেকুৰীৰ মূৰ্তি ৰখা হৈছিল। গুণকান্ত চুটিয়াই লিখিছে, 'মন্দিৰৰ ভিতৰৰ মেকুৰীৰ মূৰ্তি দুটাই চুতীয়া জাতিৰ ঐতিহ্যকে বহন কৰে। কাৰণ সেই যুগত ধৰ্মীয় আৰু জাতীয় প্ৰতীক স্বৰূপে চুতীয়াসকলৰ বাদে আন কোনো জাতিয়েই মেকুৰী ব্যৱহাৰ কৰা নাছিল।' এইজন জয়ৰে প্ৰতাপ বাঢ়ি যোৱাত ভীত সন্ত্ৰস্ত হৈ আহোম ৰজাই হত্যা কৰে। তেওঁক ধাই আলিৰ কাষত মৈদাম দিয়া হয় - 'মৈদামত জয়ৰ বীৰত্ব আৰু স্বজাতি প্ৰীতিৰ নিদৰ্শন স্বৰূপে এটা সোণৰ মেকুৰী, এখনকৈ ৰূপৰ ঢাল আৰু তৰোৱাল মৈদামত পোতা হৈছিল।'[৮০]

এই আখ্যানত উল্লেখ কৰা হৈছে (১) প্ৰচলিত কিম্বদন্তী আখ্যানৰ আলম লৈ ইতিহাস অনুসন্ধানৰ সম্ভাৱনাৰ বিষয়ে ইংগিত কৰিবলৈ আৰু (২) তাতোকৈ গুৰুত্বপূৰ্ণ কথা এটা 'জাতীয়' টোটেমৰ ধাৰণাৰ এক অভূতপূৰ্ব জনপ্ৰিয়তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ। মন কৰিবলগীয়া যে অসমৰ আন কোনো সম্প্ৰদায়ৰ ক্ষেত্ৰতে 'জাতীয়' টোটেমৰ ধাৰণা চুতীয়াসকলৰ দৰে জনপ্ৰিয় নহয়। আনহাতে চুতীয়াসকলৰ আত্ম চেতনাৰ ই আজি এক অপৰিহাৰ্য অংগত পৰিণত হৈছে।

এই খিনিতেই প্ৰণিধান যোগ্য এটা কথা হৈছে এই যে এই টোটেমৰ উৎস সন্ধানেই চুতীয়াসকলৰ মাজত ইতিহাস অনুসন্ধানৰ এক সুকীয়া পটি কাটিছে আৰু তেওঁলোকক 'জাতীয়' ইতিহাসবোধৰ এক নতুন পৰ্যায়ত উপনীত কৰাইছে। সেই অনুসৰি টোটেমৰ উৎস বিচাৰি চুতীয়া বুৰঞ্জী-সন্ধানীয়ে চীনদেশ পৰ্যন্ত পাইছেগৈ। বহুদিন জুৰি চুতীয়া বুৰঞ্জীৰ উৎস সন্ধান আৰ্য-আৰ্যাৱৰ্ত-ভাৰত-মহাভাৰতমুখী হৈ থকাৰ বিপৰীতে সম্প্ৰতি সি মহাচীন-দক্ষিণপূব এচিয়াৰ অভিমুখে এটা মোৰ লৈছে। চুতীয়াসকলৰ মাজত জনজাতীয় উৎস সন্ধানৰ ৰাজনীতিও অৱশ্যে এই নতুন বুৰঞ্জীচৰ্চাৰ এক প্ৰধান অনুপ্ৰেৰণা।

---

৭৮ কছাৰী বুৰঞ্জী, পৃঃ পাতনি।

৭৯ চুতীয়া জনগোষ্ঠীৰ চমু পৰিচয়, পৃঃ ৭।

৮০ চুতীয়া বুৰঞ্জীৰ অ'ত ত'ত, পৃঃ ২১-২৩।



যি কি নহওক, 'জাতীয় টোটেম'ৰ চীনা উৎসৰ কেইটামান উদাহৰণ প্ৰতাপ নেওগে এনেকৈ ডাঙি ধৰিছে - '**দেওধাই অসম বুৰঞ্জী**ত উল্লেখিত হিন্দুৱান (Hengduan Shan) ৰাজ্য বৰ্তমানে উত্তৰ ইউনানত (চীন) অৱস্থিত। ইয়াৰ ৰাজধানী দিক্কেন (দিক্কৰ)। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দেৱী' গ্ৰন্থৰ ৪০৭ পৃষ্ঠাত ইয়াৰ কথা উল্লেখ কৰিছে। এই হিন্দুৱান ৰাজ্যৰ পৱিত্ৰ শালেগ্ৰাম বোলে আছিল ঢাল, তৰোৱাল আৰু মেকুৰী। .. তিব্বতৰ বন ধৰ্মত বাঘ প্ৰজাতিক পূজা কৰা নিয়ম আছিল... চুতীয়াই মেকুৰীক পৱিত্ৰ জ্ঞান কৰা প্ৰভাৱ 'বন' ধৰ্মৰ পৰা আহিছে বুলি ক'ব পাৰি। উল্লেখযোগ্য যে কুবেৰো এজন 'বন' দেৱতা ...।'[৮১]

এনেকৈয়ে চুতীয়াসকলৰ ক্ষেত্ৰতে টোটেমে এক প্ৰাচীন গোষ্ঠী সমাজৰ গোত্ৰভিত্তিক সাংকেতিকতাৰ পৰ্যায় অতিক্ৰম কৰি আধুনিক জাতি গঠন প্ৰক্ৰিয়াৰ বুৰঞ্জীৰ সমল হৈ পৰিছে, যিটোৱে এক একক আৰু অনন্য পৰিঘটনাৰ ৰূপ পৰিগ্ৰহ কৰিছে।

**'জাতীয়' প্ৰত্নতত্ব-পূৰাতত্ব ঃ**

'জাতীয়' টোটেমৰ ধাৰণাৰ লগত সংগতি ৰাখি চুতীয়াসকলৰ মনত এক 'জাতীয়' প্ৰত্নতত্বৰ চাহিদা আৰু তাগিদা তীব্ৰ হৈ উঠিছে। তেওঁলোকে শদিয়া-কুণ্ডিল-তাম্ৰেশ্বৰী মন্দিৰ- ভীষ্মকনগৰ-ৰুক্মিণীনগৰৰ উপৰিও বৰ্তমান অৰুণাচলৰ মালিনীথান আৰু ইটানগৰক তেওঁলোকৰ প্ৰাচীন বুৰঞ্জীৰ স্থান বুলি চিনাক্ত কৰিছে। লক্ষ্যণীয়ভাৱে এই প্ৰত্নতত্ব গঢ়াত বৰঙণি যোগায় এজন অনা-চুতীয়া বিদ্বান অভিযন্তা ৰাজমোহন নাথে তেওঁৰ 'চুতীয়া জাতিৰ পূৰাতত্ব' শীৰ্ষক যিটো প্ৰবন্ধৰে এই চৰ্চাৰ পাতনি মেলিছিল (১৯৫৮)তাত চুতীয়া শব্দৰ উৎস-সন্ধান, কুন্দী মামা, কা-চাই-খাতি, তাম্ৰেশ্বৰী মন্দিৰ আদিৰ প্ৰত্নতত্বৰ সম্পৰ্কে মননশীল আলোচনা আগবঢ়োৱা হৈছে।[৮২]

আনহাতে কুণ্ডিলনগৰ, মালিনীথান, ইটানগৰ আদি পৰ্বতে-কন্দৰে দূৰ দূৰণিত বিক্ষিপ্ত হৈ থকা পুৰণি ভগ্নাৱশেষখিনি এসময়ৰ একে ৰাজ্যৰে অন্তৰ্গত কীৰ্তিচিহ্ন বুলিও প্ৰতিপন্ন কৰিবলৈ চেষ্টা চলাৰ উমান পোৱা যায়। সঁচা কথা ক'বলৈ গ'লে দূৰ অতীতৰ, অন্ততঃ এক সহস্ৰাব্দৰ আগৰ এই ভগ্নাৱশেষখিনিয়ে এক জনগোষ্ঠীগত আৱেগ গঢ়ি তোলাত সহায়ক হৈছে, অথবা ক'ব পাৰি যে সচেতন ভাৱেই তেনে আবেগ গঢ়ি তোলাৰ বাবে সেইবোৰ ব্যৱহাৰ কৰা হৈছে।

চুতীয়াসকলে এই ক্ষেত্ৰত নিজে চিন্তা-চৰ্চা কৰাৰ উপৰিও এই কথাই অনা-চুতীয়া, আনকি অনা অসমীয়া লেখক-গৱেষককো আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। ভি. এচ.

---

৮১ সৎফুলৰ দেশ, পৃঃ ১৭,৩৫,৭০ ইত্যাদি।

৮২ ৰাজমোহন নাথ ঃ চুতীয়া জাতিৰ পূৰাতত্ব, সদৌ অসম চুতীয়া সন্মিলনৰ অষ্টাদশ অধিবেশনৰ স্মৃতিগ্ৰন্থ, (১৯৭৪), পৃঃ ১০-১৬।

বেন্দ্রে. ড° ৰাই. এ. ৰাইকাৰ, এচ চেটাৰ্জী, ডি চি. চৰকাৰ, ভেৰিয়াৰ এলুইন আদিৰ উদ্ধৃতি দি কোযেশ্বৰ বৰুৱাই যেনেকৈ উক্ত প্ৰত্নতত্ব সাব্যস্ত কৰিবলৈ বিচাৰিছে, ঠিক তেনেকৈ চন্দ্ৰধৰ ত্ৰিপাঠী আদিৰ আলোচনায়ো তাক সমৃদ্ধ কৰিছে। অৰুণাচল চৰকাৰৰ দ্বাৰা প্ৰকাশিত Arunachal News, Malinithan, আদি প্ৰকাশনাৰো এই ক্ষেত্ৰত ভূমিকা আছে। সকলোখিনি মিলি চুতীয়াসকলক প্ৰদান কৰিছে এক আত্ম বিশ্বাস, অতীত ৰোমন্থনেৰে ভৱিষ্যতক চমজি লোৱাৰ আত্ম-চেতনা।

**'জাতীয়' বুৰঞ্জীৰ প্ৰেৰণা ঃ**

এক 'জাতীয়' বুৰঞ্জী প্ৰণয়নৰ প্ৰশ্নটোৱে চুতীয়াসকলৰ বাবে এক ভাবপীড়া হৈ দেখা দিছে। চুতীয়া সন্মিলনৰ জন্মৰ দিন জুৰি এই তাগিদা আৰু তীব্ৰতৰ হৈছে। চুতীয়া সন্মিলনৰ প্ৰথম নিয়মাৱলীত (১৯২৫) পুৰাতনীয়া কথা অনুসন্ধান আৰু উদ্ধাৰ কৰি চুতীয়া জাতিৰ এখন ভাল বুৰঞ্জী উলিয়াবলৈ যত্ন কৰাৰ কথাটো উল্লেখ আছে।[৮৩] সন্মিলনৰ অন্যতম কৰ্মকৰ্তা ৰহাৰ প্ৰয়াত গোপীনাথ বৰদলৈয়ে চুতীয়াজাতিৰ এখন বুৰঞ্জী প্ৰণয়ন কৰিছিল। আনহাতে অন্যতম প্ৰতিস্থাপক ভ্ৰমৰ চন্দ্ৰ শইকীয়াইওএখন 'জাতীয়' বুৰঞ্জী প্ৰণয়ণৰ হেঁপাহ বুকুত কঢ়িয়াই ফুৰিছিল।

দেখা যায় যে অসমৰ আন যিকোনো জনগোষ্ঠীগত সংগঠনৰ তুলনাত চুতীয়া সন্মিলনে জন্মলগ্নৰ পৰাই 'জাতীয়' বুৰঞ্জী প্ৰণয়ন এক পৰম পৱিত্ৰ জাতীয় কৰ্তব্যৰূপে পৰিগণিত কৰি আহিছে। ইয়াৰ প্ৰথম অধিবেশনৰ পৰাই এই বুৰঞ্জী প্ৰণয়ন এক লক্ষ্য হিচাপে লোৱা হৈ আহিছে। কিন্তু যি কাৰণেই নহওক কিয়, বিগত ৮০ বছৰে সেই লক্ষ্য পূৰণ হোৱা নাই। চুতীয়া সন্মিলনৰ জন্মলগ্নৰে এই লক্ষ্য পূৰণ কৰিবলৈকে ১৯৮৫ চনত এখন বুৰঞ্জী প্ৰণয়ণ উপ সমিতিও গঠন কৰি দিয়া হৈছিল। কিন্তু অৰ্থৰ অভাৱত সেই কাম সম্পূৰ্ণ নহ'ল। পৰৱৰ্তী কালত ২০০২ চনত আৰম্ভ হোৱা চুতীয়া বুৰঞ্জী প্ৰণয়ণৰ প্ৰক্ৰিয়াটোৱেই সমগ্ৰ সম্প্ৰদায়টোকে আবেগিক ভাৱে আলোড়িত কৰি এক আত্ম-চেতনা প্ৰদান কৰা পৰিলক্ষিত হয়।

চুতীয়াসকলৰ আত্ম চেতনাৰ অংশ হিচাপে এক ভাষিক চেতনাও পৰিলক্ষিত হয়। এই চেতনাৰ প্ৰতিপাদ্য বিষয় দুটা - (১) চুতীয়া ভাষাই অসমীয়া ভাষাৰ আদিৰূপ (২) বৰ্তমানৰ দেউৰী ভাষাই পূৰ্বৰ চুতীয়া ভাষা।

এই প্ৰথমটো ধাৰণাৰ সমৰ্থনত চুতীয়াসকলে এনেকৈ দাবী কৰি আহিছে - 'অসমীয়া জাতিৰ নিজা ভাষা বুলি পৰিগণিত হোৱা অসমীয়া ভাষা (ৰাজ্যিক ভাষা) অসমৰ বিভিন্ন মনীষীসকলৰ বিভিন্ন মতামতৰ ওপৰত আজিলৈকে যিধৰণে প্ৰতীয়মান হৈ আছে তাত চুতীয়া জাতিৰ ভাষাইহে অসমীয়া ভাষাৰ মূল ভেটি তাক সম্পূৰ্ণৰূপে

[৮৩] আসাম চুতীয়া সন্মিলনীৰ নিয়মাৱলী, ১৯২৫, চন।



অস্বীকাৰ কৰা হৈছে। এটা জাতিৰ ভাষা শূন্যত সৃষ্টি হোৱাৰ কথা কোনো প্ৰকাৰেই ঐতিহাসিকভাৱে আৰু বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা প্ৰমাণসিদ্ধ নহয়; সেইমতেই অসমীয়া ভাষাটোও যিধৰণে যুক্তিৰ দ্বাৰা প্ৰমাণ কৰিবলৈ বিচৰা হৈছে তাৰ দ্বাৰা ভাষাৰ মূল ভেটিৰ সম্ভাৱ অস্তিত্বহীন অৱস্থা। এই জ্বলন্ত সত্য কথাটো আজিলৈকে চুতীয়া জাতিৰ নিৰীহ, দুৰ্বল আৰু পিচপৰা অৱস্থাৰ সুবিধা লৈয়েই অসমৰ বহু বিজ্ঞ পণ্ডিতসকলে নিৰপেক্ষ আৰু সহানুভূতিবিহীনভাৱে বিবেচনা কৰাৰ নিদৰ্শন বুলি আজিৰ সন্মিলনে গভীৰ দুখ, ক্ষোভ আৰু আক্ষেপ কৰে।'

'আজিৰ সদৌ অসম চুতীয়া সন্মিলনৰ চতুৰ্দশ বাৰ্ষিক অধিবেশনে অসমীয়া জাতিৰ একমাত্ৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা, অসমৰ বিশ্ববিদ্যালয়সমূহ, অসম চৰকাৰ, অসমীয়া অভিধান প্ৰণেতাসকল আৰু চিন্তাশীল লেখকসকলক দাবী জনায় যে অসমীয়া ভাষাৰ মূল ভেটি অসমৰ খিলঞ্জীয়া দুৰ্গত, চুতীয়া জাতিৰ ভাষাই অসমীয়া ভাষাৰ মূল ভেটি বুলি স্বীকাৰ আৰু ঘোষণা কৰা হওক।'[৮৪]

বিশিষ্ট ভাষাতাত্বিক বিশ্বেশ্বৰ হাজৰিকায়ো তেওঁৰ 'ত্ৰয়োদশ শতিকাৰ অসমৰ ভাষা' প্ৰৱন্ধত ১২২৮ খ্ৰীষ্টাব্দত আহোমৰ অসম আগমনৰ আগেয়ে অসমত চুতীয়াসকলৰ ভাষাই প্ৰচলিত আছিল বুলি অনুমান কৰিছে। চুতীয়া স্মৃতিগ্ৰন্থ আৰু আলোচনীবোৰৰ প্ৰতিটো সংখ্যাতে প্ৰকাশিত দেউৰী-চুতীয়া ভাষা সংক্ৰান্তীয় প্ৰৱন্ধবোৰেও চুতীয়াসকলৰ ভাষা-চেতনাকে প্ৰতিফলিত কৰিছে। কুণ্ডিলৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত ড° দীপালী বৰাৰ 'দেউৰী চুতীয়া ভাষা, এটি টোকা', কমাৰবন্ধা অধিবেশনৰ স্মৃতিগ্ৰন্থ (১৯৮৯)ত প্ৰকাশিত 'দেউৰী চুতীয়া ভাষাৰ ব্যাকৰণ আৰু অসমীয়া ভাষাত চুতীয়া ভাষাৰ শব্দ প্ৰয়োগৰ চমু আভাস আদি প্ৰৱন্ধই সেই কথাৰ সাক্ষ্য দিয়ে।

প্ৰাক আহোম অসমত চুতীয়াসকলেই অসমীয়া ভাষাৰ বুনিয়াদ প্ৰতিষ্ঠা কৰিছিল, বা তেওঁলোকে তেতিয়া কোৱা ভাষাই বৰ্তমানৰ অসমীয়া হ'লহি- এই দাবীয়ে একে লগতে দুটা উদ্দেশ্য সাধন কৰে। সেইবিলাক হ'ল - (১) নিজৰ জনগোষ্ঠীটোৰ অৱদান সাব্যস্ত কৰি তাক মহত্ব প্ৰদান কৰা, (২) একে সময়তে সেই অৱদান অবিহনে অসম্পূৰ্ণ অসমীয়া জাতি সত্বাৰ অপৰিহাৰ্য অংগৰূপে নিজকে তুলি ধৰা।

কিন্তু বৰ্তমানৰ দেউৰী ভাষাই এসময়ত চুতীয়া সকলৰো ভাষা আছিল, এতেকে দেউৰী ভাষাটো প্ৰকৃততে চুতীয়া ভাষাই; এই দ্বিতীয় দাবীটো একেদৰে গৃহীত হোৱা পৰিলক্ষিত নহয়। বৰং এই দাবীয়ে দেউৰী চুতীয়া সম্পৰ্কলৈ যথেষ্ট সংঘাত কঢ়িয়াই অনাহে দেখা যায়। ইয়াৰ বাস্তৱিক-অৰ্থনৈতিক কাৰণো নোহোৱা নহয়। দেউৰীসকলে আশংকা অনুভৱ কৰিছে যে তেওঁলোকৰ লগত থকা সম্পৰ্কক সাব্যস্ত কৰি চুতীয়াসকলে অনুসূচীকৰণ লাভ কৰিব আৰু তুলনামূলকভাৱে অগ্ৰসৰ চুতীয়াসকলে

[৮৪] চতুৰ্দশ অধিবেশনৰ কাৰ্যবিবৰণী।

**লোকসাহিত্য, লোককৃষ্টি ইত্যাদি ঃ** জনশ্ৰুতি, লোকগীত, আখ্যান আদি লোকসাহিত্য নিজে বুৰঞ্জী নহয়, কিন্তু এইবোৰক সম্পূৰ্ণ কল্পনা-প্ৰসূত বুলি উলাই কৰিব নোৱাৰি। **মহাভাৰত, ৰামায়ণ, পুৰাণসমূহ, বৌদ্ধ জাতক** ইত্যাদিও লোকসাহিত্যই, কিন্তু প্ৰাচীন ভাৰতৰ ইতিহাস ৰচনাৰ বাবে এইবোৰৰপৰা বহুমূলীয়া সমল আহৰণ কৰা হৈছে। জনশ্ৰুতি তথা লোকসাহিত্যৰ ওপৰত নিৰ্ভৰ কৰিয়ে যোৱা শতিকাত আফ্ৰিকাৰ জনজাতিবিলাকৰ নিৰ্ভৰযোগ্য ইতিহাস ৰচনা কৰা হৈছে। প্ৰতিটো জনগোষ্ঠীৰে নিজৰ ইতিহাস সম্পৰ্কে কিছুমান জনশ্ৰুতি অথবা সাধুকথা আছে, কাৰণ, নিজৰ ইতিহাস সংৰক্ষণ কৰাতো প্ৰতিটো মানৱ গোষ্ঠীৰে এটা সাধাৰণ বৈশিষ্ট্য। আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ নগা, কাৰ্বি অথবা অৰুণাচলৰ জনজাতিসমূহৰ কাৰো লিখিত ইতিহাস নাই, কিন্তু প্ৰত্যেকৰে মাজত নিজৰ অতীতক লৈ কিছুমান জনশ্ৰুতি যুগ যুগ ধৰি মুখে মুখে চলি আহিছে। এই জনশ্ৰুতিসমূহ আৰু লগতে তেওঁলোকৰ লোককৃষ্টি অধ্যয়ন কৰি প্ৰতিটো জনগোষ্ঠীয়ে ইতিমধ্যে নিজৰ ইতিহাস ৰচনা কৰিছে অথবা ৰচনাৰ পৰিকল্পনা কৰিছে। বুৰঞ্জীৰ পিতৃ বুলি পৰিচিত গ্ৰীক ঐতিহাসিক হেৰ'ডটাছ (Herodotus, আনুমানিক ৪৮৪-৪২৫ খ্ৰীঃপূঃ) আৰু বিশ্বৰ প্ৰথম বৈজ্ঞানিক দৃষ্টিভংগীৰ ঐতিহাসিক গ্ৰীচৰ থুকিডাইড্‌ছে (Thucydides, আনুমানিক ৪৫৫-৪০০ খ্ৰীঃপূঃ)ও তেওঁলোকৰ বুৰঞ্জী ৰচনাত লোকসাহিত্যৰপৰা বহু পৰিমাণে সহায় লৈছিল। বাইনাম (Bynum) নামৰ এজন বুদ্ধিজীৱিয়ে এই সম্পৰ্কত কৈছে যে পুৰণি পৰম্পৰাগত আখ্যান বা উপকথাসমূহ সদায়েই অতীতৰ অভিজ্ঞতাৰ যুক্তিপূৰ্ণ ব্যাখ্যাৰ বাবে এটা চহকী আৰু সহজলভ্য সমল। 'মৌখিক বিৱৰণৰপৰাই আচলতে বহুতো লিখিত সমল আহৰণ কৰা হয় আৰু তাৰদ্বাৰা ঐতিহাসিক সত্যতা অলপো ক্ষুণ্ণ নহয়। কাৰণ, সমলবোৰ লিখিতই হওক বা মৌখিকেই হওক, এজন ঐতিহাসিকে উভয় ক্ষেত্ৰতে সত্যাসত্যতা আৰু ইয়াৰ সম্ভাৱনীয় অভিপ্ৰায় সম্বন্ধে সমানে সচেতন হৈ থাকিব লাগে।'[১১১]

অনান্য বহুতো জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ মাজতো বহুতো আখ্যান-উপাখ্যান আছে। কিন্তু এইবোৰ পাৰস্পৰিক ভাৱে ইমান স্ববিৰোধী হোৱা দেখা যায় যে এইবোৰ চালিজাৰি চাই এটা সিদ্ধান্তত উপনীত হোৱাটো অত্যন্ত দুৰূহ কাম হৈ পৰে। বিশেষকৈ ৰাজবংশৰ তালিকাক লৈ বহুতো মতভেদ আছে। এই জনশ্ৰুতিবোৰ মিলাব নোৱাৰি বিৰক্ত হৈ গেইট চাহাবে কৈছিল, 'চুতীয়া আখ্যানবোৰ কিছুমান অসম্ভৱ অযুক্তিকৰ কথাৰে ভৰা'।[১১২] চুতীয়া আখ্যানবিলাক অমিল হোৱাৰ মূল কাৰণ হ'ল ৰাজ্য পতনৰ পিছত ৰাজনৈতিক কাৰণত নিজ ৰাজ্যৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হয়। ইয়াৰ ফলত উত্তৰ-

[১১১] Cited in B.N. Datta, **Folklore and Historiography**, Chennai,2002,p.69.
[১১২] **A History of Assam**, p.41.



পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত তেওঁলোকৰ বসতি আৰু বিভিন্ন জনগোষ্ঠীৰ লগত তেওঁলোকৰ সম্পৰ্ক গঢ়ি উঠে। বৰ্তমান পূবে সদিয়াৰ পৰা আৰম্ভ কৰি দক্ষিণে ত্ৰিপুৰা আৰু পশ্চিমে বৰ্তমানৰ বাংলাদেশ পৰ্যন্ত চুতীয়া জাতিৰ মানুহ সিচঁৰিত হৈ আছে। বিভিন্ন ঠাইৰ বিভিন্ন জনগোষ্ঠীৰ সংস্পৰ্শলৈ অহাত জনশ্ৰুতিবিলাকৰ ওপৰত স্থানীয় প্ৰভাৱ পৰে, ফলত এইবিলাকে নিজৰ আচল ৰূপ হেৰুৱায়। অৱশ্যে এই বিভিন্নতাৰ মাজতো বহুতো মূল্যবান ঐতিহাসিক সত্য এইবিলাকৰপৰা উদ্ধাৰ কৰিব পাৰি। যথা, সদিয়া অঞ্চলক কেন্দ্ৰ কৰি তেওঁলোকৰ এখন ৰাজ্য আছিল, তেওঁলোকে নিজকে ভীষ্মক ৰজাৰ বংশধৰ বুলি পৰিচয় দিয়ে, গৌড় ৰাজ্যৰ লগত চুতীয়া ৰাজ্যৰ সম্পৰ্ক আছিল, তেওঁলোক অসমৰ এচাম প্ৰাচীনতম খিলঞ্জীয়া অধিবাসী, ইত্যাদি।

লোকসাহিত্যৰ লগতে লোককৃষ্টিয়েও ইতিহাস ৰচনাৰ সমল যোগানত বহুখিনি সহায় কৰে। আনহাতে, লোকসাহিত্যতকৈ লোককৃষ্টি বেছি নিৰ্ভৰশীল, কিয়নো লোককৃষ্টিত প্ৰতিফলিত হোৱা সামাজিক ৰীতি-নীতি, পূজা-পাতল, উৎসৱ-পাৰ্বণ আদি সামূহিকভাৱে একো একোটা অঞ্চলত পতা হয়। এইবিলাক এটা জাতিৰ উমৈহতীয়া সম্পত্তি হ'লেও তাৰ মাজতো কিছুমান বৈশিষ্ট্য থাকে যিবিলাকৰ জৰিয়তে একোটা জনগোষ্ঠীৰ কৃষ্টি প্ৰতিফলিত হয়। চুতীয়াসকলৰ মাজতো তেনে কিছুমান ৰীতি-নীতি আৰু উৎসৱ-পাৰ্বণ আছে যিবিলাক কেৱল মাত্ৰ তেওঁলোকেহে অনুষ্ঠিত কৰে। যথা, দেউকুবেৰৰ পূজা চুতীয়াসকলৰ বাদে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য কোনো জনগোষ্ঠীয়ে কৰাৰ কথা জনা নাযায়। বিহু সকাম, গোপিনী সবাহ বা আই সকাম, অপেশ্বৰী সবাহ, বুঢ়া ডাঙৰীয়াৰ সকাম, বৰসেৱা আদি সকামবোৰ চুতীয়াসকলৰ বাদেও অন্যান্য জনগোষ্ঠীৰ মাজতো আছে। ইয়াৰ কোনটো সকামৰ প্ৰকৃত স্ৰষ্টা কোনটো জনগোষ্ঠী সেই কথা কোৱা টান। কিন্তু জনগোষ্ঠীভেদে সেইবিলাকৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে। চুতীয়াসকলৰ ক্ষেত্ৰতো এই সুকীয়া বৈশিষ্ট্যবোৰ অধ্যয়ন কৰিলে তেওঁলোকৰ সংস্কৃতিৰ এটা সুন্দৰ আভাস পাব পাৰি। চুতীয়া জাতিৰ বুৰঞ্জী ৰচনাত, বিশেষকৈ চুতীয়াসকলৰ সামাজিক-সাংস্কৃতিক জীৱনযাত্ৰা অধ্যয়নত লোককৃষ্টিৰ গৱেষণাই বিশেষ সহায় কৰে। স্থানান্তৰত তেওঁলোকৰ মাজত প্ৰচলিত বিভিন্ন উৎসৱ-পাৰ্বণৰ এটি আভাস দিবলৈ যত্ন কৰা হৈছে আৰু তাৰ মাজত নিহিত হৈ থকা ঐতিহাসিক সমল প্ৰয়োজনবোধে বহু ঠাইত ব্যৱহাৰ কৰা হৈছে।

**প্ৰত্নতাত্ত্বিক নিদৰ্শন ঃ**

প্ৰত্নতাত্ত্বিক নিদৰ্শন ইতিহাস ৰচনাৰ এক ঘাই আৰু নিৰ্ভৰযোগ্য সমল। কেৱল মাত্ৰ এইবিধ সমলৰ ওপৰত নিৰ্ভৰ কৰিয়ে একো একোখন দেশ বা একো একোটা সভ্যতাৰ ইতিহাস ৰচনা কৰিব পাৰি। ইয়াৰ এক জ্বলন্ত নিদৰ্শন হ'ল ভাৰতৰ প্ৰাচীনতম

দেউৰীসকলে বৰ্তমান উপভোগ কৰি থকা চাকৰি-বাকৰিতো ভাগ ল'ব। সেয়েহে দেউৰী চুতীয়াৰ মাজত থকা (অতীতৰ) ভাষিক সম্পৰ্কৰ কথাটোৰ প্ৰতি দেউৰীসকলৰ ইমান বিৰোধিতা।

**সামৰণি ঃ**

চুতীয়াসকলৰ আত্ম-চেতনা উপলব্ধিৰ এই পৰ্ব প্ৰায় একশতিকা বিয়পা (১৯২০-২০০৬)। বিশ্ব ইতিহাসৰ এক সংক্ৰান্তি সময়ত চুতীয়াসকলৰ মনোজগততো আলোড়ণ পৰিলক্ষিত হয়।

ভাৰতবৰ্ষৰ সংখ্যাগৰিষ্ঠ মানুহেই (৫২ শতাংশ) চুতীয়া সকলৰ দৰেই অ'বিচি (আৰু এম অ' বি চি)। অসমৰ আকৌ দুই-তৃতীয়াংশ (৬৫ শতাংশ) মানুহেই অ' বি চি- এম অ' বি চি বুলি কোৱা হয়। এওঁলোকেই ভাৰতবৰ্ষৰ বিপুল শূদ্ৰাতিশূদ্ৰ জনতা। ইতিহাসৰ কোনো এটা সময়ত এওঁলোক সকলোৱেই জনজাতি আছিল আৰু আজি কোনোবাই ডেৰহেজাৰ, কোনোবাই এহেজাৰ কোনোবাই হয়তো কেইশমান বছৰ জুৰি হিন্দু জাতি-বৰ্ণ প্ৰথাৰ সংস্পৰ্শলৈ আহিছে। মুঠৰ ওপৰত এই প্ৰতিটো সম্প্ৰদায়েই জনজাতি-জাতি-ধাৰাবাহিকতাৰ (Tribal-Caste Continuum) কোনোবা বিন্দুত অৱস্থান কৰিছে। তেওঁলোক সকলোৱেই সোনকালে বা পলমকৈ জাতি-বৰ্ণ ব্যৱস্থাৰ সংস্পৰ্শলৈ অহাৰ পৰা এই ব্যৱস্থাৰ শক্তি বা সুদূৰপ্ৰসাৰী প্ৰভাৱ যেনেকৈ বুজা যায়, তেনেকৈ এই জনজাতীয়-অৰ্ধ-জনজাতীয় সম্প্ৰদায়বিলাকৰ বহুতেই তেওঁলোকৰ সুকীয়া অস্তিত্ব আজিও সাব্যস্ত কৰি থকাৰ পৰাই বুজা যায়, তাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিৰোধো আছে। সেই প্ৰতিৰোধ বৰং আজি শক্তিশালী হ'ব ধৰিছে দিনক দিনে।

এই কথা সঁচা যে সংস্কৃতায়ন-আৰ্যীকৰণে আদিম জনজাতিসকলক ঝুমখেতিৰ বিচ্ছিন্নতা আৰু অনুৎপাদনশীলতাৰ পৰা উলিয়াই আনি স্থায়ী কৃষি পদ্ধতিৰ জৰিয়তে এক বৃহত্তৰ উৎপাদন প্ৰক্ৰিয়াৰ লগত সংযোগ আৰু অধিক উৎপাদনশীলতা জনিত আপাত আৰ্থিক নিৰাপত্তা প্ৰদান কৰে। কিন্তু তাকে কৰিবলৈ গৈ একালৰ স্বাধীন জনজাতিবোৰে হেৰুৱায় তেওঁলোকৰ ভাষা, সংস্কৃতি, বুৰঞ্জী, আত্মবিশ্বাস আৰু আনকি আত্ম পৰিচিতি। তেওঁলোকৰ শৌৰ্যবীৰ্য, জনজীৱনৰ বৰ্ণাঢ্য অভিজ্ঞতাৰ মাণিক-মুকুতা সকলো জাহ যায় অস্পৃশ্যতা আৰু অৱমাননাৰ অন্তৰালত। চুতীয়াসকলৰ ক্ষেত্ৰতো সেয়েই ঘটিব ধৰিছিল।

চুতীয়াসকলৰ আত্মপৰিচিতিৰ সন্ধানে তেওঁলোকক কেনেকৈ বৰ্ণহিন্দুত্বৰ ঠিক বিপৰীতে জনজাতীয়ত্ব অভিমুখে ঠেলি দিছে সেয়া আমি প্ৰত্যক্ষ কৰিলোঁ। পাঁচ হেজাৰ জাত-পাতৰ স্তৰবিন্যস্ত (hierarchical) গাঁথনিত শ্বাসৰুদ্ধ, ভাৰাক্ৰান্ত হ'বলৈ অস্বীকাৰ কৰি চুতীয়াসকলে কিদৰে নিজা সংগঠন, নিজা ছপামাধ্যম গঢ়ি তুলি তাৰ



জৰিয়তে নিজা বুৰঞ্জী, নিজা প্ৰত্নতত্ত্ব, টোটেম, জাতীয় সংগীত আদিৰে সম্পূৰ্ণ পৰিচিতি-অনুষংগ (paraphernalia of identity) ৰূপ দিবলৈ যত্নপৰ হৈছিল, সেয়াও দেখা গ'ল। এই পৰিস্থিতিৰ সন্ধান আজি জনজাতীয়তাৰ দাবী অভিমুখে আগবাঢ়িছে। সমাজতাত্বিক আৰু নৃতাত্বিকভাৱে তেওঁলোকে জনজাতীয়তাৰ দাবীদাৰ হ'ব পাৰেনে নাই সেয়া বিদ্যায়তনিক চৰ্চাৰ বিষয়। কিন্তু এই দাবী যে ৰাজনৈতিক অধিকাৰ আৰু ক্ষমতাৰ দাবী, তাত সন্দেহ কৰিবলৈ একো নাই। আঠ দশকজোৰা সংগঠনৰ উপলব্ধি আৰু অভিজ্ঞতাৰে সমৃদ্ধ চুতীয়াসকলে অনুভৱ কৰিছে যে শিক্ষানুষ্ঠানৰ কেইখনমান আসন অথবা তৃতীয়-চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ে তেওঁলোকৰ আকাংক্ষ্যা পূৰাব নোৱাৰে। তেওঁলোকৰ আজি প্ৰয়োজন ৰাজনৈতিক ক্ষমতাত ন্যায্য অংশৰ। অথচ অ'বিচি-এমঅ'বিচি হিচাপে তেওঁলোকে চাকৰি বা শিক্ষানুষ্ঠানৰ আসন কেইখনমান পাব পাৰে, নিজৰ ৰাজনৈতিক, ভাগ্যনিয়ন্তা হ'ব নোৱাৰে, কৰিব নোৱাৰে আত্মনিৰ্ধাৰণ।

অৱশ্যে, এই দাবীৰ পূৰণে তেওঁলোকক লৈ যাব সমস্যাটোৰ পৰৱৰ্তী ঢাপলৈ; আজিৰ অসমত ইতিমধ্যে অনুসূচীকৃত সকলো জনজাতিয়ে দাবী কৰা দৰে স্বায়ত্তশাসনৰ প্ৰশ্নৰ সমুখলৈ। কিন্তু, সেই প্ৰশ্নই মিচৰৰ স্ফিংক্সৰ প্ৰশ্নৰ দৰে, মহাভাৰতৰ ধৰ্মৰূপী বকৰ প্ৰশ্নৰ দৰে চুতীয়াসকলৰ আত্ম পৰিচিতিৰ সন্ধানকো এক ধৰ্ম-সংকটৰ সমুখীন কৰাইছে। তেওঁলোকে যদি আৰ্য ক্ষত্ৰিয়ও নহয়; অন্ত্যজ-অস্পৃশ্যও নহয়, তেতিয়াহ'লে তেওঁলোক কি? চুতীয়া বুৰঞ্জীৰ ৰচনা প্ৰক্ৰিয়াই হয়তো এই প্ৰশ্নৰ অসমীয়া জাতিৰ বুৰঞ্জী পুনৰ ৰচনাৰ বাটকে মুকলি কৰিব, উত্তৰৰ সন্ধান দি পুনৰবিন্যস্ত কৰিব অসমীয়া জাতি গঠন প্ৰক্ৰিয়াকে।

# ইতিহাসৰ জলঙাৰে সদৌ চুতীয়া জাতি সন্মিলন, অসম ১৯২৫-২০০৫ খ্ৰীঃ

চুতীয়াসকল উত্তৰ-পূব ভাৰতৰ এটা খিলঞ্জীয়া জাতি। ইতিহাসৰ পৰিক্ৰমাত এসময়ৰ ৰাজ্যগঠনকাৰী জনগোষ্ঠী চুতীয়া জাতিটো কালক্ৰমত থান-বান হৈ ব্ৰিট্ৰিছ ৰাজত্বৰ ছত্ৰ-ছায়াত 'অসমৰ চুতীয়াসকল' নামে সাধাৰণ প্ৰজাত পৰিণত হ'লহি। অসমৰ সামগ্ৰিক পৰিস্থিতি, ৰাজনৈতিক সংকট, ধৰ্মীয় আৰু সামাজিক অৱমাননা, অৰ্থনৈতিক শোষণৰ বলি হৈ চুতীয়াসকলৰ অৱক্ষয় হ'ল। যাৰ ফলত চুতীয়াসকলৰ মাজতেই জাত-বিভাজন হৈ উচ্চ-নীচ বিচাৰ চলিবলৈ ধৰিলে আৰু বহুতো চুতীয়াই ৰাজনৈতিক আৰু অৰ্থনৈতিক উদ্দেশ্যত, নাইবা ধৰ্মীয় আৰু সামাজিক সমতা লাভৰ স্বাৰ্থত নিজৰ (চুতীয়া জাতিৰ) পৰিচয় লুকুৱাই ৰাখি অন্য জাতিত বিলীন হ'বলৈ ধৰিলে। ফলস্বৰূপে চুতীয়া জাতিটোৰ মাজত অস্তিত্বৰ সংকট আহি পৰিল। এনে সন্ধিক্ষণতেই কেইজনমান জাতি-প্ৰেমী সচেতন চুতীয়া লোকৰ উদ্যোগত থান-বান হৈ পৰা জাতিটোৰ গোষ্ঠীগত ঐক্য আৰু ইতিহাসৰ আঁত ধৰি চুতীয়া জাতিক পুনৰ একত্ৰিত কৰি শক্তিশালী কৰি গঢ়ি তোলাৰ অভিপ্ৰায়েৰে তেওঁলোকৰ এটা সংগঠন গঢ়ি তোলাৰ প্ৰচেষ্টা চলালে। সদৌ চুতীয়া জাতি সন্মিলনৰো গুৰি তাতেই।

ভাৰতবৰ্ষত ব্ৰিটিছ ৰাজত্বৰ সময়ছোৱাত তেওঁলোকৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক শোষণৰ বলি হোৱা সমগ্ৰ ভাৰতবাসীৰ মাজত ১৯ শতিকাৰ শেষাৰ্ধ আৰু বিংশ শতিকাৰ প্ৰাৰম্ভণিতেই জাতীয়তাবাদে গা কৰি উঠিছিল। জাতীয়তাবাদৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অসমৰ জনসাধাৰণৰ মাজতো পৰিছিল। জাতীয়তাবাদী চিন্তা-ধাৰা অসমীয়া মানুহৰ মাজত সামগ্ৰিকভাৱে পৰাৰ উপৰিও বিভিন্ন জাতি-জনজাতিসকলৰ মাজত ক্ষুদ্ৰ জাতীয়তাবাদেও সমভাৱে বিকাশ হ'বলৈ ধৰে।

অসমৰ ক্ষুদ্ৰ জাতীয়তাবাদ বিকাশৰ পথ তথা জাতি সত্বাৰ বিষয়ে সুকীয়া চিন্তা-ধাৰাৰ বাট মুকলি কৰিলে ১৮৯৩ খ্ৰীঃত গঠন হোৱা 'আহোম সভা' নামৰ সংগঠনটোৱে।[১] ইয়াৰ লগে লগে অসমৰ বিভিন্ন জাতি-গোষ্ঠীবোৰেও নিজৰ নিজৰ জাতি-সত্বাৰ বিকাশৰ স্বাৰ্থত গোষ্ঠীগত চেতনাৰে উদ্বুদ্ধ হয়। ফলস্বৰূপে ১৮৯৩ খ্ৰীঃত

[১] Dr. Swarna Lata Baruah, **A Comprehensive History of Assam**, New Delhi, 1985, p. 635.



"বৃত্তিয়াল বণিয়া সভা", ১৯১৪ খ্ৰীঃত "গুৱাহাটী আদি-কৈৱৰ্ত্ত জাতি হিতকাৰী সভা", ১৯১৯ খ্ৰীঃ বড়ো "ছাত্ৰ সন্মিলনী", ১৯২১ খ্ৰীঃত "কৈৱৰ্ত্ত জাতি হিতকাৰী সভা", "কছাৰী সন্মিলন", আৰু "সোণোৱাল-কছাৰী হিত-সাধিনী সভা", ১৯২৪ খ্ৰীঃত "বড়ো মহা সন্মিলন", আৰু "মিৰি সন্মিলন" বা "বানে-কৌবাং" আদি গোষ্ঠীগত সংগঠনবোৰ গঠন হয়।[২] সমগ্ৰ অসমতে বিকাশ হোৱা ক্ষুদ্ৰ জাতীয়তাবাদৰ ঢৌ চুতীয়াসকলৰ মাজতো পৰিবলৈ ধৰিলে। শিৱসাগৰ জিলাৰ জাঁজীৰ ভ্ৰমৰ চন্দ্ৰ শইকীয়া প্ৰমুখ্যে কেইজনমান সচেতন চুতীয়া লোকৰ মাজত এটা সংগঠনৰ প্ৰয়োজনীয়তাৰ বিষয়ে চিন্তা-চৰ্চা চলিছিল। সেই উদ্দেশ্যেই ভ্ৰমৰ চন্দ্ৰ শইকীয়াই **চুতীয়া জাতি** নামৰ এখন পুস্তিকা প্ৰকাশ কৰি উলিয়াই ৰাইজৰ মাজত বিতৰণৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পিছতেই ১৮৪৪ শক (১৯২২ খ্ৰীঃ)-ৰ ২৬ কাতিত গোলাঘাট জিলাৰ কমাৰবন্ধাত চুতীয়াসকলৰ এখন সভা বহি 'গোলাঘাট চুতীয়া সভা' নামৰ এটা সংগঠনৰ জন্ম দিয়ে। চুতীয়া সন্মিলন জন্ম হোৱাৰ পটভূমি এই সভাতেই ৰচনা হৈছিল। ফলস্বৰূপে ১৯২৫ খ্ৰীঃৰ ১০ এপ্ৰিল তাৰিখে গোলাঘাটৰ ঢেকীয়াল মৌজাৰ নপমুৱা চাৰিআলিত "আসাম চুতীয়া সন্মিলন" নামৰ সংগঠনটোৰ জন্ম হয়।[৩] উক্ত সংগঠনটোৰ প্ৰধান গুৰি ধৰোতা আছিল - ভ্ৰমৰ চন্দ্ৰ শইকীয়া। তেওঁৰ লগতে সেই কামত আগ-ভাগ লৈছিল জাঁজীৰ ইন্দ্ৰেশ্বৰ চুতীয়া; ডিব্ৰুগড়ৰ নাৰায়ণ চন্দ্ৰ ভৰালী, বিষ্টুৰাম নেওগ, ধঞ্জয় শইকীয়া, বেণুধৰ দাস; গোলাঘাটৰ হেমধৰ পাত্ৰবৰা, বিশ্বেশ্বৰ বৰা, ঢকুৱাখনাৰ ভূৰাম বৰুৱা আদি ব্যক্তিসকলে। এইসকল ব্যক্তিয়ে চুতীয়া জাতিৰ গৌৰৱময় ইতিহাস আৰু পৰম্পৰাগত সাংস্কৃতিক অৱক্ষয় দেখি-শুনি চুতীয়া জাতিৰ সন্মানজনক আধ্যাত্মিক উত্তৰণৰ কামনা কৰি ইঠাইৰ পৰা সিঠাইলৈ ঘূৰা-পকা কৰি "আসাম চুতীয়া সন্মিলন" নামৰ সংগঠনটিৰ জন্ম দিছিল। 'আসাম চুতীয়া সন্মিলন'ৰ প্ৰথমখন অধিবেশনৰ সভাপতিৰ আসনত অধিষ্ঠিত কৰাইছিল খ্যাতনাম সাহিত্যিক ৰজনীকান্ত বৰদলৈ দেৱক। নৱপ্ৰতিষ্ঠিত চুতীয়া জাতিৰ একমাত্ৰ সংগঠনটোৰ উদ্যোক্তাসকলে প্ৰকৃতাৰ্থত জাতিগত সংগঠন গঢ়ি তুলিছিল যদিও অন্য জাতৰ বিশিষ্ট লোকক সভাপতিৰ আসনত বহুৱাই উক্ত সংগঠনটোক সংকীৰ্ণতাৰ ভাবৰ উৰ্দ্ধত ৰাখিবলৈ যত্ন কৰাৰ ই এক বাস্তৱ উদাহৰণ। চুতীয়া সন্মিলনত সভাপতি আসনত অন্য সম্প্ৰদায়ৰ, লোকক অধিষ্ঠিত কৰোৱাৰ প্ৰক্ৰিয়া ১৯৩৫ খ্ৰীঃলৈকে অব্যাহত থাকে।

সন্মিলনৰ প্ৰথমখন অধিবেশনৰ সিদ্ধান্ত মৰ্মে অসমৰ বিভিন্ন ঠাইৰ পৰা আহি যোগদান কৰা প্ৰতিনিধিসকলৰ মাজৰ পৰা মুঠ ১৫ জন সদস্য নিৰ্বাচন কৰি কাৰ্য-নিৰ্বাহক সভা গঠন কৰা হয়। কাৰ্য-নিৰ্বাহক সভাৰ সম্পাদকৰ দায়িত্বত ভ্ৰমৰচন্দ্ৰ শইকীয়া, সহকাৰী

[২] বিস্তৃত বিৱৰণৰ বাবে আগৰ অধ্যায়ত চাওক

[৩] প্ৰথম আসাম চুতীয়া সন্মিলনৰ বিৱৰণ, পৃঃ ২-৫

সম্পাদক হিচাবে ৰতিকান্ত হাজৰিকাক, ধনভৰালীৰ দায়িত্বত মানিক চন্দ্ৰ দাসক মনোনিত কৰা হয়। বাকীসকল প্ৰতিনিধিক সদস্য হিচাবে ৰখা হয়। সেইসকল হ'ল - ক্ৰমে হেমধৰ পাত্ৰবৰা, তুলসীৰাম তামুলী, ৰঙাই হাজৰিকা, গোপীনাথ বৰদলৈ, ভূৰাম বৰুৱা, ভেবেলাৰাম বৰা, ধনিৰাম হাজৰিকা, ভেবেলা বৰা আৰু ললিত চন্দ্ৰ তামুলী।[৪] প্ৰথম অধিবেশনৰ প্ৰতিনিধি সভাত মুঠ পাঁচটা প্ৰস্তাব সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়।[৫] সেইকেইটা হ'ল -

প্ৰথম প্ৰস্তাব ঃ সৰ্বসন্মতি ক্ৰমে এই সন্মিলনে প্ৰস্তাব কৰে যে, চুতীয়াসকলে নিজৰ ল'ৰা-ছোৱালীক কম কৈ হ'লেও প্ৰাইমেৰী শিক্ষা দিবলৈ যেন যত্নবান হয়।

দ্বিতীয় প্ৰস্তাব ঃ সৰ্বসন্মতি ক্ৰমে উল্লেখিত লোকসকলেৰে এই সন্মিলনৰ এখন কাৰ্য-নিৰ্বাহক সভা গঠন কৰা হওক।

তৃতীয় প্ৰস্তাব ঃ অসমৰ সকলো ঠাইতে এই সন্মিলনৰ শাখা সভা গঠন কৰিবলৈ কাৰ্য-নিৰ্বাহক সভাক ভাৰ দিয়া হওক।

চতুৰ্থ প্ৰস্তাব ঃ কোনো ভাল উপায়েৰে এই সন্মিলনৰ ধন- ভঁৰাল স্থাপন কৰিবলৈ কাৰ্য-নিৰ্বাহক সভাক ভাৰ দিয়া হওক।

পঞ্চম প্ৰস্তাব ঃ এই সন্মিলনে আশা কৰে যে, সকলো চুতীয়া লোকে ভাং, কানি, চুৰট আদিৰ অপকাৰিতা বুজি তাক ক্ৰমে পৰিহাৰ কৰিবলৈ মন আৰু যত্ন কৰে।

এই প্ৰস্তাবসমূহে চুতীয়াসকলৰ মাজত কি উদ্দেশ্যত এখন সন্মিলন বা এটা সংগঠনৰ প্ৰয়োজন সেই কথাৰ সম্ভেদ দিয়ে। ইয়াৰ পৰা এই কথা পৰিস্কাৰ হয় যে চুতীয়া জাতিটোক সংগঠিত কৰি তেওঁলোকৰ মাজত ঐক্য ৰক্ষা কৰিবলৈ, আধুনিক শিক্ষা গ্ৰহণেৰে সমাজত জাতীয় স্থিতি অক্ষুণ্ণ ৰাখিবলৈ আৰু মাদক দ্ৰব্য আদি কু-সংস্কাৰবোৰ আঁতৰ কৰাটোৱেই আছিল প্ৰথম অৱস্থাত সন্মিলনৰ ঘাই উদ্দেশ্য। প্ৰথমখন কাৰ্যকৰী সমিতিৰ কাৰ্যকালৰ ভিতৰতে সন্মিলনে এখন নিয়মাৱলী প্ৰস্তুত কৰি ছপাই উলিয়াইছিল। নিয়মাৱলীখন অৱশ্যে পোৱা নগ'ল। নিয়মাৱলীখনত সন্নিবিষ্ট উদ্দেশ্যসমূহৰ বিষয়ে দ্বিতীয় অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰাই স্পষ্ট হয়। "সন্মিলনৰ নিয়মাৱলীৰ পৰা আপোনাসকলৰ (সন্মিলনৰ) ঘাইকৈ এইকেইটা উদ্দেশ্যৰ কথা বুজিব পাৰিছো"।

(১) আসামৰ চুতীয়া সম্প্ৰদায়টোৰ ভিতৰত সু-শিক্ষাৰ পোহৰেৰে একতা স্থাপন কৰি নৈতিক, মানসিক আৰু আৰ্থিক অৱস্থাৰ উন্নত কৰিব পৰাই এই সন্মিলনৰ ঘাই উদ্দেশ্য।

(২) এই সন্মিলনে ৰাজনীতি বিষয়ক আলোচনা নকৰে।

---

৪ ঐ, পৃঃ ৬৭

৫ ঐ, পৃঃ ৬৭-৬৮



(৩) আসামৰ চুতীয়া সম্প্ৰদায়টোৰ উন্নতিৰ অৰ্থে সন্মিলনে তলত দিয়া কাৰ্যখিনি কৰিবৰ নিমিত্তে চেষ্টাত থাকিব।

(ক) পুৰাতনীয়া কথা অনুসন্ধান আৰু উদ্ধাৰ কৰি চুতীয়া জাতিৰ এখন ভাল বুৰঞ্জী উলিওৱা।

(খ) কোনো সজ উপায়েৰে চুতীয়া জাতিৰ লোকসকলৰ শিক্ষালৈ ধাউতি জন্মোৱা।

(গ) কু-সংস্কাৰ আঁতৰাই সামাজিক অৱস্থা উন্নত কৰিবলৈ যত্ন কৰা।

(ঘ) এটা স্বজাতীয় ধন ভঁৰাল স্থাপন কৰা।[৬]

উপৰোক্ত উদ্দেশ্যসমূহৰ ভিতৰত প্ৰথম সন্মিলন স্থাপন হোৱাৰ সময়তে চুতীয়া জাতিৰ এখন বুৰঞ্জী উলিয়াবলৈ চেষ্টা কৰাটো আৰু সেই উদ্দেশ্য কাৰ্যকৰী কৰিবলৈ উদ্যোগ লোৱাৰ বিষয়টো উল্লেখযোগ্য। ইয়াৰ উপৰিও প্ৰথমখন কাৰ্যকৰী সমিতিৰ কাৰ্যকালতে অসমৰ চুতীয়া মানুহৰ পিয়ল কৰিবৰ বাবে পিয়ল সূচী প্ৰস্তুত কৰি বিতৰণ কৰা, সন্মিলনৰ সভ্য ভৰ্ত্তিৰ প্ৰ-পত্ৰ বিতৰণ, প্ৰথম সন্মিলনৰ বৃতান্ত "প্ৰথম আসাম চুতীয়া সন্মিলন" নামৰ পুস্তিকা এখন ছপা কৰি চুতীয়াসকলৰ মাজত বিতৰণ কৰা, "মিলন ভঁৰাল" বুলি সন্মিলনৰ বাবদ পুঁজি গঠন কৰা আৰু অসমৰ বিভিন্ন ঠাইত শাখা সভা গঠন কৰি সংগঠন শক্তিশালী কৰা আদি কৰা কামবোৰ কৰিছিল।[৭]

আসাম চুতীয়া সন্মিলনৰ দ্বিতীয় সন্মিলন বহিছিল ১৮৪৯ শকৰ ২১ আহিন, শনিবাৰ (১৯২৭ খ্ৰীঃ)-ৰ দিনা নগাঁও জিলাৰ ৰহাত। এই অধিবেশনৰ সভাপতি আছিল বাগ্মিবৰ নীলমণি ফুকন। এই সন্মিলনত অসমৰ বিভিন্ন ঠাইৰ প্ৰায় বাৰশমান লোক উপস্থিত হৈছিল। এই অধিবেশনত মুঠ আঠটা গুৰুত্বপূৰ্ণ প্ৰস্তাব গ্ৰহণ কৰিছিল। ব্ৰিটিছ গৰ্ভমেন্টক সন্মিলনৰ ফালৰ পৰা ৰাজভক্তি জ্ঞাপন কৰি প্ৰথম প্ৰস্তাব লোৱাৰ কথাটো তাৎপয্যপূৰ্ণ। চতুৰ্থ প্ৰস্তাব মতে - মান ভগনৰ দিনত যিসকল চুতীয়া মানুহ গৈ অসম উপত্যকাৰ বাহিৰে আন ঠাইত বসতি কৰি থকা বাতৰি পোৱা গৈছে, সেই লোকসকল সকলো বিষয়তে যাতে সম্পূৰ্ণ অসমীয়া হৈ থাকিব পাৰে তাৰ বাবে চেষ্টা কৰিবলৈ আসাম চুতীয়া সন্মিলনৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা হেতু অসম সাহিত্য সভাক সেই কাম হাতত ল'বলৈ অনুৰোধ কৰিছিল।[৮] চুতীয়া সন্মিলনৰ দ্বিতীয় অধিবেশনতে গ্ৰহণ কৰা এনে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাব আজিকোপাতি কাৰ্যকৰী নোহোৱাটো দুখৰ কথা। পঞ্চম প্ৰস্তাবত 'চুতীয়া' নামটোৰ বানানৰ বিসঙ্গতি সম্পৰ্কত এইদৰে মত প্ৰকাশ কৰে -

---

৬ নীলমণি ফুকন, "সভাপতিৰ অভিভাষণ", দ্বিতীয় আসাম চুতীয়া সন্মিলনৰ বিৱৰণ, ১৯২৯, পৃঃ ১৮-১৯; কুল চুতীয়া, "চুতীয়া সন্মিলনৰ চমু ইতিবৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী", স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম; কমাৰবন্ধা অধিবেশন, ১৯৮১, পৃঃ ৩২-৩৮

৭ আসামৰ চুতীয়া সন্মিলনৰ কাৰ্য বিৱৰণী, আসাম চুতীয়া সন্মিলন দ্বিতীয় অধিবেশনৰ বিৱৰণ, পৃঃ ৪১

৮ আসাম চুতীয়া সন্মিলন, দ্বিতীয় অধিবেশনৰ বিৱৰণ, পৃঃ ৩

"চুতীয়া জাতি বুজোৱা 'চুতীয়া' শব্দটো বৰ্তমানলৈকে অসমীয়া ভাষাত 'চুটিয়া' এইদৰে লিখি চলি আহিব লাগিছে। এই সন্মিলনত বিবেচনা কৰি স্থিৰ কৰা মতে সেই শব্দটো 'চুতীয়া' - এই দৰে অসমীয়া ভাষা আৰু অভিধানত প্ৰচলন হ'বৰ কাৰণে আসাম সাহিত্য সভা আৰু সাহিত্যিকসকলক আজিৰ সন্মিলনে অনুৰোধ জনায়।"[৯]

দ্বিতীয় আৰু তৃতীয় অধিবেশনৰ মাজৰ সময়ছোৱাত সন্মিলনে বিশেষকৈ শাখা সভা গঠন কৰা, মাদক দ্ৰব্য নিবাৰণৰ বাবে প্ৰচাৰ চলোৱা, চুতীয়া জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষাৰ বাবে বৃত্তি প্ৰদানৰ উদ্দেশ্যে চৰকাৰক আবেদন জনোৱা আদি কামবোৰতে ব্যস্ত থাকে। এইখন কাৰ্যনিৰ্বাহকৰ দিনতে চুতীয়া জাতিক বুজাবলৈ লিখা 'চুটিয়া' শব্দটোৰ ঠাইত 'চুতীয়া' কৰা হয় আৰু অসম সাহিত্য সভায়ো ইয়াত অনুমোদন জনায়। ইয়াৰ উপৰিও এই কাৰ্যনিৰ্বাহকে ১৯২৯ খ্ৰীঃত ১৮৬০ চনৰ পঞ্জীয়ণ আইনৰ ২১ ধাৰা অনুসৰি আসাম চুতীয়া সন্মিলনৰ পঞ্জীভূক্ত কৰিছিল।[১০]

সন্মিলনৰ তৃতীয় অধিবেশন অনুষ্ঠিত হৈছিল ১৯২৯ খ্ৰীঃত যোৰহাটৰ পীড়াকটা নামৰ ঠাইত। এই সন্মিলনত সভাপতিত্ব কৰিছিল ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা এই অধিবেশনত মুঠ আঠোটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল।[১১] সমগ্ৰ দেশতে ব্যাপক ভাবে প্ৰচলন হোৱা স্বদেশী আন্দোলনে চুতীয়াসকলৰ মাজতো প্ৰভাৱ পেলাইছিল। ফলস্বৰূপে এই অধিবেশনৰ দ্বিতীয় প্ৰস্তাব মতে চুতীয়া মানুহে বিদেশী বস্তু বৰ্জন কৰি চুতীয়াৰ পুৰাতনীয়া দস্তুৰ মতে নিজৰ ঘৰত সূঁতা কাটি কাপোৰ বৈ ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে।[১২] এইখন অধিবেশনত (সাত নম্বৰ প্ৰস্তাৱ) মেট্ৰিকুলেচন পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰক বঁটা দিবলৈ প্ৰস্তাব গ্ৰহণ কৰা হয়।[১৩] চুতীয়া সন্মিলনৰ ফালৰ পৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক উদ্‌গনি বঁটা দিয়াটো বৰ্তমানেও অব্যাহত আছে।

তৃতীয় অধিবেশনত অসমৰ বিভিন্ন ঠাইৰ মুঠ ২০ জন প্ৰতিনিধিৰে কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয় আৰু ভ্ৰমৰ চন্দ্ৰ শইকীয়াক সন্মিলনৰ সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হয়। এই অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাবসমূহৰ ওপৰত ভিত্তি কৰি সমূহ চুতীয়া ৰাইজলৈ এখন গোহাৰি জনাইছিল। গোহাৰিখনৰ অংশ-বিশেষ উল্লেখ কৰা হ'ল - "ৰাইজসকল! ৰাইজৰ অনুগ্ৰহত, ভগবন্তৰ কৃপাত আমাৰ সন্মিলনৰ তৃতীয় অধিবেশন ভালদৰেই হৈ গ'ল। সন্মিলনত সকলো ঠাইৰে গোট খোৱা সমূহ ৰাইজে যিবিলাক কথা

---

৯ ঐ, পৃঃ ৩-৪

১০ কুল চুতীয়া, চুতীয়া সন্মিলনৰ চমু ইতিবৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী, স্মৃতিগ্ৰন্থ, কমাৰবন্ধা অধিবেশন, পৃঃ ৩৩

১১ আসাম চুতীয়া সন্মিলন, তৃতীয় অধিবেশনৰ বিৱৰণ, ১৯২৯ চন, পৃঃ ১৪-১৬

১২ আসাম চুতীয়া সন্মিলন, তৃতীয় সন্মিলনৰ বিৱৰণী, ১৯২৯ চন, পৃঃ ১৫

১৩ ঐ, পৃঃ ১৬



বান্ধিছে, এতিয়া তাক পালন কৰিবলৈ যত্ন কৰাহে আমাৰ ঘাই কৰ্তব্য। সমূহ ৰাইজৰ কথা শিৰোধাৰ্য কৰি সকলোৱে যেন ভাং, কানি, চুৰট - এই অপকাৰী বস্তু কেইটা আপোনলোকৰ নিজ নিজ গাঁৱৰ আৰু সমাজৰ পৰা কেনেকৈ আঁতৰ হয়, তালৈ যেন কান-সাৰ কৰিব। ঘৰত সূঁতা কাটি কাপোৰ বৈ লোৱা আমাৰ দেশৰ নতুন কথা নহয়, আমাৰ দেশৰ পূৰ্বৰ প্ৰথা মতে ঘৰে ঘৰে সূঁতা কাটি কাপোৰ তৈয়াৰ কৰি ল'ব পাৰিলে আমাৰ নিজৰহে উপকাৰ। সকলো বস্তুৰ দিনক-দিনে জুই-চাই দাম উঠিব লাগিছে। খৰচৰ বাট দিনক-দিনে চৰিবহে লাগিছে। এনেস্থলত আমি মেহ্‌নত্ কৰি খেতিপথাৰ নকৰিলে পূৰ্বৰ প্ৰথা মতে ঘৰে ঘৰে সূঁতা কাটি কাপোৰ ল'বলৈ মন নকৰিলে তৰিবৰ উপায় নাই। এৰি, এৰিয়া আৰু মুগা কাপোৰৰ ব্যৱহাৰ আমি যিমান বঢ়াব পাৰো সিমান ভাল। এৰি আৰু মুগা কাপোৰৰ কথা আমি নতুনকৈ শিকিব নেলাগে মন কৰিলেই তাক বঢ়াব পাৰি। আমাৰ দেশৰ পাট-মুগা আৰু এৰি কাপোৰ কেনে সুন্দৰ আৰু উত্তম। .... উন্নতি কৰিবলৈ হ'লে সমাজৰ পৰা বেয়া বস্তুবোৰ নাতঁৰালে, সজ শিক্ষা, সজ আৰ্হি ল'ব নোৱাৰিলে নহয়। তাকে কৰিব নোৱাৰিলে নহয়। তাকে কৰিব নোৱাৰিলে সন্মিলন পতা-নপতা একে কথা। ...."[১৪]

চুতীয়া সন্মিলনে জাতিৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ হকে কাম কৰিবলৈ জনসাধাৰণৰ মাজত প্ৰচাৰ চলোৱা স্বদেশী আন্দোলনৰ ভাবধাৰাৰে উদ্বুদ্ধ হৈ নিজৰ জাতিটোকো স্ব-নিৰ্ভৰশীল হ'বলৈ উদ্‌গনি যোগোৱাৰ ক্ষেত্ৰত আৰু সামগ্ৰিক পৰিস্থিতিত সদা-সচেতনতাৰে সন্মিলনৰ দৃষ্টি-ভঙ্গী প্ৰকাশ কৰাৰ ক্ষেত্ৰত চুতীয়া সন্মিলনৰ স্থিতি আৰু কৰণীয় সম্পৰ্কে উপৰোক্ত গোহাৰিখন এখন উল্লেখযোগ্য দলিল। এইখিনিতে এটা মন কৰিবলগীয়া কথা হ'ল যে, চুতীয়া সন্মিলনৰ গুৰি ধৰোতাসকলৰ বেছিভাগ সদস্যই সেই সময়ত উচ্চ স্তৰৰ হিন্দু সভাপতি তথা শুভাকাংক্ষীসকলৰ পৃষ্ঠপোষকতাত পৰি নিজৰ জনজাতীয় পৰিচয় লুকুৱাই ৰাখিবৰ বাবে প্ৰচেষ্টা কৰিছিল যেন অনুভৱ হয়। হিন্দু চুতীয়াৰ চিনাকীৰে এচাম চুতীয়াই নিজৰ জাতিৰ মাজতে বিভাজন সৃষ্টি কৰি উচ্চ হিন্দু সমাজৰ ওচৰ চাপি আহিছিল আৰু সেইসকলেই সম্ভৱতঃ চুতীয়া সন্মিলনৰো হৰ্তা-কৰ্তা হৈ পৰিছিল। আগতেই উল্লেখ কৰি অহা হৈছে যে চুতীয়া সন্মিলন গঠনৰ উল্লেখিত উদ্দেশ্যসমূহৰ উপৰিও ইয়াৰ অন্তৰ্নিহিত আন উদ্দেশ্যও নথকা নহয়। সেই সময়ৰ সমাজ ব্যৱস্থাত চুতীয়াসকলক সমাজৰ নিম্ন স্তৰৰ লোক বুলি গণ্য কৰা আৰু কিছুমান সমাজত চুতীয়া লোক বুলিলে লেইলেই-চেইচেই কৰাৰ এনে বহুতো উদাহৰণ পোৱা যায়। এনেবোৰ সামাজিক অৱজ্ঞা আৰু অৱহেলাৰ হেঁচাত এচাম চুতীয়াই হিন্দু চুতীয়া বুলি পৰিচয় দি উচ্চ হ'ব খোজাটো অস্বাভাবিক কথা নহয়। বহুতে আকৌ নিজৰ চুতীয়া উপাধিটোকে সলনি কৰি লৈছিল আৰু আন কিছুমানে নিজৰ পৰিচয় লুকুৱাই

---

১৪ ঐ, পৃঃ ৬৫-৬৭

ৰাখি অন্য জাতিত অন্তৰ্ভূক্ত হৈছিল। ফলস্বৰূপে চুতীয়া জাতিটোৰ মাজত অবক্ষয় দেখা দিছিল আৰু সামাজিক ভাবে বিভক্ত হৈ পৰিছিল। এই সন্ধিক্ষণতে ব্ৰাহ্মণ পণ্ডিতসকলক মাতি আনি সন্মিলনৰ অধিবেশনবোৰত সভাপতিৰ আসনত বহুৱাইছিল। তেখেতসকলৰ মুখেৰে চুতীয়াসকলক হিন্দু-ক্ষত্ৰিয় জাতিৰ লোক বুলি পৰিচয় কৰাই সামাজিক স্বীকৃতি লোৱাৰ চেষ্টা অব্যাহত ৰাখিছিল বুলি ভাৱিবৰ স্থল আছে। এনে এক সময়তে সন্মিলনৰ উচ্চ জাতৰ ভাবধাৰাৰে জাগৃত হোৱা নেতা বিশেষৰ সন্মুখত এক অঘটন ঘটিল। ডিব্ৰুগড় জিলাৰ খোৱাঙত অনুষ্ঠিত অসম কছাৰী যুবক সন্মিলনৰ তৃতীয় অধিবেশনত বেণুধৰ ৰাজখোৱাই সভাপতিত্ব কৰিছিল। ৰাজখোৱাদেৱে তেখেতৰ সভাপতিৰ অভিভাষণত চুতীয়া জাতিৰ সম্বন্ধে কেইটামান মন্তব্য কৰিছিল। যেনে - 'কছাৰীৰ দৰে চুতীয়াও বড়ো জাতিৰ মানুহ',[১৫] 'চুতীয়াও কছাৰীৰ ঠাল-ঠেঙুলি',[১৬] 'ৰুক্মিণী দৰাচলতে কছাৰী জীয়াৰী আছিল'[১৭] ৰাজখোৱা ডাঙৰীয়াই চুতীয়াসকলক কছাৰীসকলৰ সৈতে একাকাৰ কৰাত চুতীয়া সন্মিলনৰ নেতাসকল অসন্তুষ্ট হৈ সেই মন্তব্যবিলাকৰ প্ৰতিবাদ কৰিবলৈ ১৯২৯ খ্ৰীঃত গোলাঘাটৰ কমাৰবন্ধাত চুতীয়া সন্মিলনৰ এক বিশেষ অধিবেশন অনুষ্ঠিত কৰে। এই বিশেষ অধিবেশনৰ উদ্দেশ্যৰ বিষয়ে সেইখন অধিবেশনত সভাপতিত্ব কৰা ৰায়বাহাদুৰ গোপিকা বল্লভ গোস্বামী দেৱে দিয়া অভিভাষণৰ পৰা স্পষ্ট হয় - "ৰাজখোৱা ডাঙৰীয়াই চুতীয়া জাতিক যি অযথা আক্ৰমণ কৰিছিল সেই বিষয়ে উত্তৰ দিবলৈ আজি এই বিশেষ অধিবেশন বহিছে আৰু উত্তৰ দিয়াৰ ভাৰটো সদৌ ৰাইজে মোৰ নিচিনা এজন অনুপযুক্ত মানুহৰ ওপৰত দিছে। সমূহ ৰাইজৰ আদেশ শিৰোধাৰ্য্য কৰি ৰাজখোৱা ডাঙৰীয়াই উত্থাপন কৰা বিষয়টিৰ আলোচনা কৰিলো। আলোচনাৰ ভাল-বেয়া সকলো বিচাৰৰ ভাৰ ৰাইজৰ হাতত। কিন্তু ওপৰত আলোচিত পুথি আদিৰ পৰা মোৰ বিবেচনা মতে সুন্দৰকৈ প্ৰমাণিত হৈছে যে চুতীয়া জাতিৰ লগত কছাৰী জাতিৰ কোনো সম্পৰ্ক নাই আৰু চুতীয়া জাতিক ক্ষত্ৰিয়ৰ বাহিৰে অন্য কোনো জাতি বুলিব নোৱাৰো"।[১৮] এনেদৰে ভাষা-সংস্কৃতি, ইতিহাস, সামাজিক সংগতি, চুতীয়া জনগোষ্ঠীৰ বংশগতিৰ সমূদায় প্ৰাপ্ত তথ্যৰ উৱাদিহ্ নোলোৱাকৈয়ে চুতীয়া সন্মিলনৰ কাৰ্যসূচী ক্ষত্ৰিয় আৰু হিন্দু চুতীয়াৰ আৱৰ্তত সামৰি লোৱা হ'ল। সেই সময়ত সমাজৰ অগোচৰত থকা এচাম চুতীয়াৰ কথা সন্মিলনৰ সংগতিৰ বাহিৰতে থাকিল।

সন্মিলনৰ চতুৰ্থ অধিবেশন ১৯৩০ খ্ৰীঃত শিৱসাগৰৰ বানমুখত সৰ্বেশ্বৰ শৰ্মা কটকীদেৱৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। এই অধিবেশনৰ প্ৰতিনিধি সভাই মুঠ ন টা

[১৫] বেণুধৰ ৰাজখোৱা, সভাপতিৰ অভিভাষণ, অসম কছাৰী যুবক সন্মিলনৰ তৃতীয় অধিবেশন, পৃঃ ২

[১৬] ঐ, পৃঃ ৮

[১৭] ঐ, পৃঃ ১০

[১৮] ৰায়বাহাদুৰ গোপিকা বল্লভ গোস্বামী, সভাপতিৰ অভিভাষণ, বিশেষ অধিবেশন, ১৯২৯ খ্ৰীঃ, কমাৰবন্ধা, গোলাঘাট



প্ৰস্তাব গ্ৰহণ কৰে। ইয়াৰে তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাব হৈছে - চৰকাৰী পিয়লত দেউৰীসকলক জড়োপাসক সম্প্ৰদায় চিহ্নিত নকৰি চুতীয়াৰ অন্তৰ্ভুক্ত বুলি ধৰি লোৱা, মায়ামৰা সম্প্ৰদায়ৰ ভিতৰত থকা চুতীয়াসকলক অন্যান্য চুতীয়াৰ দৰে জ্ঞাতি বুলি বিবেচনা কৰিবলৈ সিদ্ধান্ত কৰা আৰু শিক্ষা বিভাগে স্কুলত পঢ়া ছাত্ৰৰ জাতি বিভাজন কৰি চুতীয়া ছাত্ৰক নীচ জাতিৰ বুলি লেখত ধৰা কাৰ্যক প্ৰতিবাদ জনাই ভুল শুধৰাবলৈ চৰকাৰক জনোৱা আদি।[১৯] উপৰোক্ত প্ৰস্তাবসমূহ কিমান দূৰ কাৰ্যকৰী হৈছিল সেই বিষয়ে ক'তো উল্লেখ নাই।

সন্মিলনৰ পঞ্চমখন অধিবেশন ১৯৩৫ খ্ৰীঃত শিৱসাগৰৰ চাৰিঙত ৰায়বাহাদুৰ বৃন্দাবন চন্দ্ৰ গোস্বামীদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। সুদীৰ্ঘ পাঁচটা বছৰৰ অন্তত অনুষ্ঠিত হোৱা এইখন অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাবসমূহত চুতীয়া জাতিৰ সম্বন্ধে গতানুগতিক কেইটামান প্ৰস্তাব গ্ৰহণ কৰাৰ বিপৰীতে অসমৰ পৰা শ্ৰীহট্ট বিচ্ছেদ সমৰ্থন, অসমত বিশ্ববিদ্যালয় আৰু উচ্চ ন্যায়ালয় স্থাপন কৰিবলৈ দাবী জনোৱা, জনমতক উপেক্ষা কৰি মাজ-অসমত বাঙালী স্কুলক সাহায্য নিদিবলৈ গৰ্ভনমেন্টক অনুৰোধ জনোৱা আদি সময় উপযোগী প্ৰস্তাবসমূহ গ্ৰহণ কৰি চুতীয়া সন্মিলনে সঙ্কীৰ্ণতাৰ পৰা আঁতৰি আহি বৃহত্তৰ অসমীয়া সমাজ তথা জাতীয় চেতনাৰ ভাব প্ৰকাশ কৰিছিল। এইখন অধিবেশনতে চুতীয়া সন্মিলনৰ ছমহীয়া মুখপত্ৰ প্ৰকাশৰ বাবে এখন সমিতিও গঠন কৰা হয়।[২০] চুতীয়া সন্মিলনৰ পঞ্চমখন সন্মিলনৰ এটি উল্লেখযোগ্য কৃতিত্ব হ'ল যে এই অধিবেশনতে তৃতীয় দিনা অৰ্থাৎ ২৩ চ'ত দেওবাৰে জাতি-ধৰ্ম নিৰ্বিশেষে চাৰিং মহিলা সন্মিলনিৰ উদ্যোগত আৰু চুতীয়া সন্মিলনৰ সহযোগত পোন প্ৰথম বাৰৰ বাবে সাধনী উৎসৱ পালন কৰা হয়। চাৰিং মহিলা সভাই সাধনী উৎসৱ পাতি তলত দিয়া প্ৰস্তাবটিও গ্ৰহণ কৰে - "অসমৰ গৌৰব, অতীতৰ বীৰ-বীৰঙ্গনাসকলৰ স্মৃতি উৎসৱৰ ভিতৰত অসমৰ জীয়াৰী সতী-সাধনীৰ উৎসৱ পালন কৰাও বাঞ্চনীয় বুলি ভাবি আজি এই মহিলা সন্মিলনিয়ে সাধনী উৎসৱ জাতীয় ভাবে পালন কৰিবলৈ সকলোকে অনুৰোধ জনায়।"[২১]

চুতীয়া সন্মিলনৰ পঞ্চম অধিবেশনলৈকে সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক ভ্ৰমৰ চন্দ্ৰ শইকীয়াই একেৰাহে এই পদত নিৰ্বাচিত হৈ আহিছিল আৰু অধিবেশনবোৰত সভাপতি কৰিবলৈ উচ্চ জাতৰ গুণী-জ্ঞানী লোকসকল আমন্ত্ৰণ কৰি আনিছিল। আগতে উল্লেখ কৰি অহা হৈছে যে, সেই সময়ছোৱাত সন্মিলনৰ দৃষ্টি-ভঙ্গী, বিশেষকৈ চুতীয়াসকলৰ সামাজিক স্থান আৰু সামাজিক অৱস্থাৰ ওপৰতেই বেছিকৈ নিবন্ধ আছিল।

[১৯] মোহন ৰাম শইকীয়া, সদৌ অসম চুতীয়া সন্মিলনৰ চমু আভাস, স্মৃতি গ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, বিংশতিতম্ অধিবেশন, ১৯৭৯, পৃঃ ৩৯

[২০] ঐ, পৃঃ ৪০

[২১] সাধনী উৎসৱ, পঞ্চম অধিবেশনৰ বিবৰণ, ১৯৩৫ খ্ৰীঃ, পৃঃ ৫

চুতীয়া বুলিলে কেতবোৰ তথাকথিত উচ্চ সমাজত আনকি শিক্ষানুষ্ঠানতো জ্ঞাতে বা অজ্ঞাতে নীচ জাতি বুলি জ্ঞান কৰা হৈছিল। ফলত চুতীয়া সন্মিলনে সেই সময়ত চুতীয়াসকলৰ এনে সামাজিক স্থানৰ ওৰ পেলোৱাৰ চিন্তা কৰিছিল। ফলস্বৰূপে চুতীয়াসকলে জনজাতীয় সামাজিক স্থান ল'বলৈ নিবিচাৰিছিল। ফলত, ১৯৩৫ খ্ৰীঃত প্ৰকাশ পোৱা চাইম'ন্ কমিছনৰ ৰিপৰ্টত চুতীয়া জনগোষ্ঠীৰ সৰহ সংখ্যকক অনুসূচীত জনজাতি আৰু সত্ৰ সংস্কৃতিৰ অন্তৰ্ভূক্ত চুতীয়াসকলক অনুসূচীত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। কিন্তু চুতীয়া সন্মিলনে এই সুবিধা নাকচ কৰিলে।[২২] একেসময়তে একেলগে তালিকাভুক্ত হোৱা দেউৰীসকল অনুসূচীত জনজাতিৰ তালিকাভুক্ত হৈ উন্নতিৰ পথত আগবাঢ়িলে আৰু চুতীয়াসকল পিছ পৰি ৰ'ল। চুতীয়া সন্মিলনে এই সুবিধা একে আষাৰে নাকচ নকৰি বিকল্প ব্যৱস্থা গ্ৰহণ কৰা হ'লে আজিৰ চুতীয়া জাতিটোৰ ইমান শোচনীয়া অৱস্থা নহ'লহেঁতেন। এইখিনিতে চুতীয়া সন্মিলনৰ মাজতো ফাঁট মেলিলে। একালৰ সন্মিলনৰ অন্যতম নেতা ভীমবৰ দেউৰী চুতীয়া সন্মিলনৰ পৰা আঁতৰি আহিল।[২৩]

১৯৩৮ খ্ৰীঃত গোলাঘাটৰ বেঙেনাখোৱাত অনুষ্ঠিত হোৱা সন্মিলনৰ ষষ্ঠ অধিবেশনৰ পৰাই সন্মিলনৰ সাংগঠনিক দিশত পৰিবৰ্তন আৰম্ভ হয়। পূৰ্ণচন্দ্ৰ শইকীয়াদেৱে এই অধিবেশনত সভাপতিত্ব কৰিছিল। চুতীয়া সন্মিলনৰ সভাপতিৰ আসনত চুতীয়া জাতিৰ লোকক অধিষ্ঠিত কৰা এয়ে প্ৰথম। তেতিয়াৰ পৰাই কাৰ্যনিৰ্বাহকত সভাপতিসকল স্থায়ীৰূপে ৰৈ যায়।[২৪] আনহাতে প্ৰধান সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰা সন্মিলনৰ প্ৰতিষ্ঠাপক ভ্ৰমৰ চন্দ্ৰ শইকীয়াদেৱৰ ঠাইত প্ৰথমবাৰৰ বাবে গোলোক চন্দ্ৰ বৰাদেৱক নিৰ্বাচিত কৰা হয়। ষষ্ঠ অধিবেশনৰ পিছতেই সন্মিলনৰ কামত কিছু স্থবিৰতা আহে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত সেই সময়ত জাগৃত হোৱা বৃহত্তৰ ভাৰতীয় জাতীয়তাবাদৰ ধ্বনিৰ তীব্ৰতাত সাম্প্ৰদায়িক শক্তিবোৰ তাপ মাৰি বৈছিল আৰু সাম্প্ৰদায়িক সংগঠনবোৰক অবজ্ঞা আৰু সন্দেহৰ দৃষ্টিৰে চোৱা হৈছিল। এনে সময়ত চুতীয়া সন্মিলনে সন্মিলনৰ তৰফৰপৰা মুকলি ভাবে ভাৰতৰ জাতীয় কংগ্ৰেছক সমৰ্থন কৰিছিল আৰু স্বাধীনতা আন্দোলনত সকলো চুতীয়া লোকক অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। এই কথা ষষ্ঠ অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰাই স্পষ্ট হয় - "ভাৰতৰ জাতীয় জীৱনৰ ভৱিষ্যত কংগ্ৰেছেই কৰিবলগীয়া হৈছে, এনে স্থলত চুতীয়াসকলে যদি কংগ্ৰেছৰ পৰা পৃথক অনুষ্ঠানৰ সৃষ্টি কৰিবলৈ যায় আমাৰ নিজত্ব সম্পূৰ্ণ চিন্ন হৈ যোৱাতো স্বাভাৱিক হৈ পৰিব। আমি জাতি হিচাবে ভাৰতীয়হে। এই সম্প্ৰদায়বিলাক জাতীয়

[২২] কুলধৰ চুতীয়া, সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ বিশিষ্ট সংগঠকসকল আৰু চমু কাৰ্য্যাৱলী, স্মৃতিগ্ৰন্থ, ২০০০ খ্ৰীঃ, পৃঃ ৪

[২৩] কুল চুতীয়া, চুতীয়া সন্মিলনৰ চমু ইতি-বৃত্ত আৰু সংক্ষিপ্ত কাৰ্যাৱলী, স্মৃতিগ্ৰন্থ, কমাৰবন্ধা অধিবেশন, ১৯৮৯ খ্ৰীঃ, পৃঃ ৩২

[২৪] ঐ, পৃঃ ২



বৃক্ষৰ শাখা মাত্ৰ। বৃক্ষৰ মূল ছেদন কৰিলে শাখাৰ যি অৱস্থা হ'ব ঠিক সম্প্ৰদায়বিলাকেও জাতীয় সভাৰ মূলৰপৰা পৃথক হৈ গ'লে তেনে অৱস্থাই হ'ব।

ৰাইজসকল! আপোনালোকক অকল চুতীয়া বুলি সম্বোধন কৰাতকৈ মই সমগ্ৰ দৰ্শক মণ্ডলীক জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ক'ব খুজিছো যেন প্ৰত্যেকেই কংগ্ৰেছৰ কৰ্ম পদ্ধতি অনুসৰণ কৰে। নিজৰ সম্প্ৰদায়, নিজৰ জাতি, সভ্যতা আদি ৰক্ষা কৰিবলৈ হ'লে একমাত্ৰ কংগ্ৰেছেইহে আশ্ৰয়। নিজৰ দেশক পৰাধীনতাৰ শৃংখলৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰত্যেকেই নিজৰ জীৱন পণ কৰি কংগ্ৰেছৰ বাণী, কংগ্ৰেছৰ আদৰ্শ গ্ৰহণ কৰক। তেতিয়াহে আমাৰ জাতীয়তাৰ সম্পূৰ্ণ বিকাশ হ'ব। নহ'লে আমাৰ নিৰ্যাতন আঁতৰি নাযায়। আমি পৰাধীন পৰাধীন হৈয়ে থাকিম।"[২৫]

১৯৩৫ খ্ৰীঃত চাইম'ন্ কমিচনৰ দ্বাৰা চুতীয়াসকলক প্ৰদান কৰা জনজাতিকৰণৰ সুবিধা চুতীয়া সন্মিলনে গ্ৰহণ নকৰিলে যদিও সন্মিলনে নিজৰ ভুল বুজি পাবলৈ বেছি সময় নালাগিল। সন্মিলনে ভুল উপলব্ধি কৰাৰ সময়ত ইয়াৰ সংশোধনৰ পথত বাধা আহি পৰিল। এফালে দ্বিতীয় বিশ্বযুদ্ধ আৰু আনফালে ভাৰতৰ স্বাধীনতা আন্দোলন। ভাৰতৰ স্বাধীনতা আন্দোলন বাধাপ্ৰাপ্ত হয় বুলি চুতীয়া সন্মিলনে জনজাতিৰ বাবে আগবঢ়োৱা সুকীয়া সুৰক্ষাৰ দাবী কৰা নাছিল।[২৬] ১৯৪২ চনত চাৰ নিক'লচ্‌ৰ নেতৃত্বত অসমৰ জনজাতীয় নেতাসকল একত্ৰিত হৈ গঠন কৰা 'অসম ট্ৰাইবেল লীগ'ত চুতীয়া সন্মিলনে অংশ গ্ৰহণ কৰিছিল। সন্মিলনৰ অন্যতম নেতা তিলেশ্বৰ হাজৰিকাদেৱ ট্ৰাইবেল লীগৰ কাৰ্যকৰী সদস্য আছিল।[২৭] সম্ভৱতঃ চুতীয়াসকল জনজাতি বুলি চৰকাৰী নথি-পত্ৰৰ দ্বাৰা পুনৰ চিহ্নিত নোহোৱাৰ হেতু পৰৱৰ্তী সময়ত চুতীয়া সন্মিলনে ট্ৰাইবেল লীগৰ পৰা আঁতৰি আহিবলগা হয়। চুতীয়া সন্মিলনে জাতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে জনজাতিকৰণৰ বিকল্প হিচাবে অন্য ধৰণে চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে। ১৯৪৬ খ্ৰীঃত শিৱসাগৰ জিলাৰ মৰাণত বহা সন্মিলনৰ সপ্তম অধিবেশনত চুতীয়াসকলৰ বাবে চৰকাৰী শাসনতন্ত্ৰত আৰু অসমৰ লোকেল ব'ৰ্ড আৰু মিউনিচিপালিটিসমূহত আসন সংৰক্ষণ, চুতীয়া ছাত্ৰসকলক বৃত্তি প্ৰদান, উচ্চ বৃত্তি মূলক শিক্ষানুষ্ঠান যেনে - বেৰি হোৱাইট মেডিকেল স্কুল আদিত চুতীয়া ছাত্ৰৰ বাবে আসন সংৰক্ষণ, গৱৰ্ণমেন্টৰ সকলো বিভাগতে শতকৰা দহ ভাগ আসন সংৰক্ষণ, প্ৰাদেশিক চিভিল আৰু জুনিয়ৰ চিভিল চাৰ্ভিচ আদি

[২৫] পূৰ্ণচন্দ্ৰ শইকীয়া, সভাপতিৰ অভিভাষণ, অসম চুতীয়া সন্মিলনিৰ ষষ্ঠ অধিবেশন, ১৯৩৮ খ্ৰীঃ, পৃঃ ১৮-১৯

[২৬] সূৰ্য্যকান্ত খনিকৰ, 'সদৌ চুতীয়া জাতি সন্মিলন, আভাসৰ চমু আলোচনা', **স্মৃতিগ্ৰন্থ**, কমাৰবন্ধা অধিবেশন, ১৯৮৯, পৃঃ ১৫

[২৭] কুল চুতীয়া, চুতীয়া সন্মিলনৰ চমু ইতি বৃত্ত আৰু চমু কাৰ্য্যৱলী, স্মৃতিগ্ৰন্থ, কমাৰবন্ধা অধিবেশন, ১৯৮৯ খ্ৰীঃ, পৃঃ ৩৩; কুলধৰ চুতীয়া, সদৌ চুতীয়া সন্মিলৰ বিশিষ্ট সংগঠকসকল আৰু চমু কাৰ্য্যাৱলী, স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী, ২০০০ খ্ৰীঃ, পৃঃ ৪; ভোগেশ্বৰ শইকীয়া, চুতীয়া জাতি সন্মিলনৰ সংক্ষিপ্ত ইতি-বৃত্ত, **কাকডোঙা**, স্মৃতিগ্ৰন্থ, ২০০৫ খ্ৰীঃ, পৃঃ ৯৯

চাকৰিত দুজন চুতীয়া লোকক নিয়োগ কৰা আদি প্ৰস্তাৱসমূহ গ্ৰহণ কৰি অসমৰ প্ৰধানমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীসকলৰ ওচৰত আবেদন দাখিল কৰিবলৈ তিনিজনীয়া প্ৰতিনিধি গোট গঠন কৰিছিল।[২৮] অৱশ্যে এই প্ৰস্তাৱসমূহ কাৰ্যক্ষেত্ৰত সফল কৰিব পাৰিছিল বুলি ক'ব নোৱাৰি।

পৰৱৰ্তী সময়ত চুতীয়া সন্মিলনে জনজাতিকৰণৰ বিকল্প হিচাবে ১৯৫৩ খ্ৰীঃত ভাৰত চৰকাৰৰ দ্বাৰা নিয়োগ কৰা কাকা চাহেব কালালকাৰ্ কমিচন্‌ৰ ওচৰত যাৱতীয় তথ্য-পাতি দাখিল কৰি চুতীয়াসকল অন্যান্য পিছপৰা শ্ৰেণীত অন্তৰ্ভূক্ত কৰিবৰ বাবে আবেদন জনালে। আবেদনখনৰ অংশ বিশেষ উল্লেখ কৰা হ'ল - "অসমত চুতীয়া সম্প্ৰদায়টোৱেই আটাইতকৈ অনুন্নত আৰু পিচপৰা জাতি ... চুতীয়াসকল বৰ্তমানৰ চৰকাৰৰ ফালৰ পৰা বৰ্ণ হিন্দুৰ লগত ৰাখিছে যদিও দুৰ্ভাগ্য বশতঃ তেওঁলোকে বৰ্ণহিন্দুৰ অন্যকেইটা জাতিৰ লগত বিয়া-বাৰু বা খোৱা-বোৱা আদিত লগলাগিব পৰা সুবিধা ঘটা নাই"।[২৯] এই আবেদনৰ ভিত্তিতেই চুতীয়াসকলক অন্যান্য পিছপৰা শ্ৰেণীত অন্তৰ্ভূক্ত কৰা হয়। কিন্তু অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত হোৱাৰ পিছতো চুতীয়াসকলৰ বিশেষ কোনো উন্নতি নহ'ল। ফলস্বৰূপে চুতীয়া সন্মিলনে সেই কথা উপলব্ধি কৰি চুতীয়াসকলক অধিকতৰ পিচপৰা শ্ৰেণীত অন্তৰ্ভুক্তিৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিলে। ১৯৬৯ খ্ৰীঃত সন্মিলনৰ সভাপতি লক্ষীনাথ শইকীয়া আৰু সম্পাদক কুলধৰ চুতীয়াৰ কাৰ্যকালত সেইসময়ৰ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাক এই সম্পৰ্কত স্মাৰক পত্ৰ প্ৰদান কৰিছিল যদিও ফলবৰ্তী হোৱা নাছিল।[৩০] পুনৰ ১৯৭২ খ্ৰীঃত সন্মিলনৰ তৰফৰ পৰা তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীক স্মাৰক পত্ৰ প্ৰদান কৰিছিল। স্মাৰক পত্ৰ প্ৰদান কৰাৰ এক মাহৰ পিছতে চুতীয়াসকলক কেৱল শিক্ষাৰ ক্ষেত্ৰত অধিকতৰ পিছপৰা জাতি (M.O.B.C.) হিচাবে স্বীকৃতি দিয়া হয়।[৩১]

চুতীয়াসকল ক্ৰমে পিছপৰা আৰু অধিকতৰ পিছপৰা শ্ৰেণীৰ অন্তৰ্ভূক্ত হোৱাৰ পিছতো তেওঁলোকৰ অৱস্থাৰ বিশেষ উন্নতি নহ'ল। ফলস্বৰূপে এচাম চুতীয়াৰ মাজত পুনৰ জনজাতিকৰণৰ সপক্ষে চিন্তা-চৰ্চা চলিল। এই সময়ছোৱাত চুতীয়া সন্মিলনৰ মাজত জনজাতিকৰণৰ দাবী সম্পৰ্কে যেনেকৈ চিন্তা-চৰ্চা চলিছিল তেনেকৈ তাৰ বিৰুদ্ধাচৰণো সমভাৱে চলিল। ১৯৭৪ খ্ৰীঃৰ গোলাঘাটৰ কমাৰবন্ধাৰ হাজৰিকাচুক গাঁৱত অনুষ্ঠিত

[২৮] সদৌ অসম চুতীয়া সন্মিলন, সপ্তম অধিবেশনৰ বিৱৰণ, ১৯৪৬ খ্ৰীঃ, পৃঃ ৩-৫

[২৯] চুতীয়া সন্মিলনৰ পৰা অনুন্নত সম্প্ৰদায়ৰ তদন্ত আয়োগৰ ওচৰত দিয়া স্মাৰক পত্ৰ, যোৰহাট, ১৯৫৩ খ্ৰীঃ

[৩০] কুলধৰ চুতীয়া, সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ বিশিষ্ট সংগঠকসকল আৰু চমু কাৰ্য্যাৱলী, স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী, ২০০০ খ্ৰীঃ, পৃঃ ৪

[৩১] ঐ; গোলোক চন্দ্ৰ বৰা, সভাপতিৰ অভিভাষণ, সদৌ চুতীয়া জাতি সন্মিলন, ১৯৭২ খ্ৰীঃ, পৃঃ ১০; Government of Assam, T.A. & W.B.C. Development, Reforms Branch, Letter No. TAD/BC/28/71/33. Dated Shilong 4th January 1972



হোৱা সন্মিলনৰ কাৰ্যকৰী বৈঠকত চুতীয়া জাতিক জনজাতিকৰণৰ প্ৰস্তাব উত্থাপন কৰাৰ সময়ত মোহনৰাম শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল।[৩২] সেই বৈঠকত জনজাতিকৰণৰ প্ৰস্তাৱটো গৃহীত হৈছিল নে নাই সেই তথ্য পোৱা নাযায়। অৱশ্যে ইয়াৰ পিছৰে পৰা সন্মিলনৰ দৃষ্টিভংগী ক্ৰমান্বয়ে সলনি হ'বলৈ ধৰিলে। পৰিবৰ্তন হোৱাৰে কথা, কাৰণ চুতীয়াসকল পিচপৰা শ্ৰেণীৰ আৰু অতি পিছপৰা শ্ৰেণীত অন্তৰ্ভূক্ত হোৱাৰ পিছত তেওঁলোকৰ বিশেষ উন্নতিতো নহ'লেই বৰঞ্চ সমাজত উচ্চ জাতৰ পৰিচয়ো হেৰুৱাৰ লগা হ'ল। উচ্চ জাতৰ লোকেও কোনো দিনেই চুতীয়াসকলক তেওঁলোকৰ সমপৰ্যায়ৰ বুলি গণ্য নকৰিলে। এই সন্ধিক্ষণত সন্মিলনৰ নেতাসকলৰ মাজত এটা দোধোৰ-মোধোৰ অৱস্থা সৃষ্টি হোৱাৰ কথা ১৯৭৯ খ্ৰীঃত অনুষ্ঠিত হোৱা সন্মিলনৰ বিংশতম্ অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰা স্পষ্ট হয় - "চুতীয়াসকলৰ সামাজিক অৱস্থা হিন্দু সমাজৰ একেবাৰে তলখাপৰ। সামাজিক অনুষ্ঠান যেনে - বিবাহ, শ্ৰাদ্ধ বিধি, সবাহ, ভাওনা আদিত কিছুমান দ্ৰব্য-বস্তু চুতীয়াসকলে বিতৰণ কৰিলে উন্নত বৰ্ণৰ লোকে নেখায়। ভোজ-সবাহৰ কথাটো বেলেগেই - সাধাৰণ সেৱাত চুতীয়া দেউৰীয়ে পায়সকণ সিজালেও উন্নত বৰ্ণৰ লোকে গ্ৰহণ নকৰাৰ শ শ উদাহৰণ আছে। অৱশ্যে ব্যক্তিগত স্বাৰ্থৰ খাতিৰত ভোট ভিক্ষা কৰোতে গুপুতে তেওঁলোকে ভোজ-ভাত খোৱাৰো উদাহৰণ নথকা নহয়। মনে-মনে নিয়াৰ বাহিৰে (চুৰি কৰি) একে অৱস্থাৰ উন্নত সম্প্ৰদায়ৰ ল'ৰাই চুতীয়া ছোৱালী বিয়া নকৰায় ...।

আমি উক্ত অসামাজিক অৱস্থাৰ উচ্ছেদ কামনা কৰো কিন্তু উন্নত সম্প্ৰদায়ৰ গোড়ামিৰ বাবেই এইটো সম্ভৱ হোৱা নাই।

আমি আমাৰ ভাতৃ-গোষ্ঠী দেউৰী, মিৰি, মৰাণ, মটক, চাউদাং, মিচিমি আদিৰ লগত আত্মীয়তা বঢ়াব লাগিব। একেদাল এনাজৰীৰে আমি বান্ধ খাই কৰ্তব্য পথত আগবাঢ়িবলৈ চেষ্টা চলাব লাগিব। ..."[৩৩] ইয়াৰ পৰাই স্পষ্ট হয় যে চুতীয়া সন্মিলনৰ বিংশ অধিবেশনতেই চুতীয়াসকলক জনজাতিকৰণৰ প্ৰস্তাব উত্থাপন হৈছিল। সম্ভৱতঃ সেইখন অধিবেশনত এই প্ৰস্তাব গ্ৰহণ কৰিব পৰা নাছিল। এইখন অধিবেশনৰ পিছত সেই বছৰৰে মে মাহত অনুষ্ঠিত হোৱা সন্মিলনৰ ন-পুৰণি যুটীয়া কাৰ্যকৰী বৈঠকত চুতীয়াসকলক জনজাতিকৰণৰ প্ৰস্তাবটো গ্ৰহণ কৰিছিল।[৩৪] কাৰ্য-নিৰ্বাহকত গ্ৰহণ কৰা উক্ত প্ৰস্তবাটোৰ অনুমোদন ল'বলৈ ১৯৭৯ খ্ৰীঃৰ ৮ জুন তাৰিখে গোলাঘাটৰ কমাৰবন্ধাত এখন বিশেষ প্ৰতিনিধি সভাৰ আয়োজন কৰি তাতে উক্ত প্ৰস্তাবটো গ্ৰহণ কৰা হয়।[৩৫]

[৩২] জিতেন বৰা, মোহনৰাম শইকীয়া দেৱৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলী পৃ, ১২

[৩৩] গোলোক চন্দ্ৰ বৰা, সভাপতিৰ অভিভাষণ, বিংশতম্ অধিবেশন, উত্তৰ লক্ষীমপুৰ, ১৯৭৯ খ্ৰীঃ, পৃঃ ৬-৭

[৩৪] কোযেশ্বৰ বৰুৱা, সভাপতিৰ অভিভাষণ, পঞ্চবিংশতিতম্ দ্বি-বাৰ্ষিক অধিবেশন, বেংমৰা, ১৯৯৪ খ্ৰীঃ, পৃঃ ৩৩

[৩৫] ঐ

সন্মিলনে উক্ত প্ৰস্তাব গ্ৰহণ কৰাৰ পিছত সকলো চুতীয়া লোকেই সেই প্ৰস্তাব সহজে মানি লৈছিল বুলি ক'ব নোৱাৰি। জনজাতিকৰণৰ সপক্ষে সন্মিলনৰ তৰফৰ পৰা জনসাধাৰণক অৱগত কৰিবলৈ সন্মিলনে যে বহু চেষ্টা কৰিব লগা হৈছিল সেই বিষয়ে সন্মিলনৰ একবিংশতিতম্ কেকুৰি, বেবেজীয়া অধিবেশন (১৯৮২ খ্ৰীঃ)-ৰ সভাপতিৰ অভিভাষণ, স্মৃতিগ্ৰন্থত প্ৰকাশিত ললিত চুতীয়াৰ 'চুতীয়াসকলৰ জনজাতিত অন্তৰ্ভূক্তি দাবীৰ পটভূমি' আৰু গোলোক চন্দ্ৰ বৰাৰ 'চুতীয়াসকলৰ বৰ্তমান আৰু ভৱিষ্যত' শীৰ্ষক প্ৰবন্ধ দুটিৰ পৰাই স্পষ্ট হয়।[৩৬]

১৯৭৯ খ্ৰীঃত তদানীন্তন জনতা চৰকাৰৰ দ্বাৰা গঠন হোৱা সুৰভাজন কমিটিৰ ওচৰত ইটানগৰত চুতীয়া সন্মিলনৰ তৰফৰ পৰা সভাপতি কোযেশ্বৰ বৰুৱা আৰু সম্পাদক মুক্তা ভঁৰালীৰ নেতৃত্বত চুতীয়াসকলক জনজাতিকৰণৰ সপক্ষে স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল।[৩৭] ইয়াৰ পিছৰ বছৰতে ১৯৮০ খ্ৰীঃত সন্মিলনৰ সভাপতি আৰু সম্পাদক ক্ৰমে কোযেশ্বৰ বৰুৱা আৰু মুক্তা ভঁৰালীৰ নেতৃত্বত এটা সজাতি দ'ল দিল্লীলৈ গৈ ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক সাক্ষাৎ কৰি চুতীয়া জাতিক জনজাতিকৰণৰ সম্পৰ্কত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল।[৩৮] উক্ত সজাতি দলত চুতীয়াৰ সমগোত্ৰীয় দেউৰীসকলৰ সংগঠন সদৌ অসম দেউৰী সন্মিলনৰ সভাপতি বৰ্গৰাম দেউৰী আৰু সদৌ দেউৰী ছাত্ৰ সন্থাৰ সভাপতি টেনজিং বৰদেউৰীয়েও অংশ গ্ৰহণ কৰিছিল।[৩৯] চুতীয়াসকলক জনজাতিকৰণৰ দাবীৰ সেয়াই আৰম্ভণি। ইয়াৰ পিছৰে পৰা বৰ্তমান সময়লৈকে চুতীয়া সন্মিলনে দিল্লী-দিশপুৰকে প্ৰমুখ্য কৰি এই দাবীৰ সমৰ্থনত বিভিন্ন কাৰ্যসূচীৰ ৰূপায়ন কৰি আহিছে যদিও বৰ্তমানলৈকে সুফল পোৱা নাই।

১৯২৫ খ্ৰীঃত গঠন হোৱা অসম চুতীয়া সন্মিলনৰ সুদীৰ্ঘ কাৰ্য-ক্ৰমনিকা প্ৰত্যক্ষ কৰিলে দেখা যায় যে, সময়ৰ পৰিবৰ্তনৰ লগে লগে পৰিবেশ আৰু পৰিস্থিতিৰ তাগিদাত চুতীয়া সন্মিলনে সদা-সচেতনতাৰে নিজা পদক্ষেপ গ্ৰহণ কৰি আহিছে। একালত জনজাতিকৰণৰ বিৰোধিতা কৰা সন্মিলনে জাতিৰ উত্তৰণৰ স্বাৰ্থত জনজাতিকৰণৰ দাবীটোকে বৰ্তমান মুখ্য দাবী ৰূপে গ্ৰহণ কৰি আহিছে। ঠিক সেইদৰে সামগ্ৰীক পৰিবেশ আৰু প্ৰয়োজনীয়তাৰ স্বাৰ্থত সন্মিলনৰ নামকৰণো চাৰিবাৰকৈ সলনি কৰিছে। ১৯২৫ খ্ৰীঃত প্ৰথম চুতীয়া সন্মিলনখন গঠন কৰাৰ সময়ত এই সন্মিলনৰ নাম আছিল 'আসাম চুতীয়া সন্মিলন'। সেইসময়ত চৰকাৰী অফিচ-আদালতত ৰাজ্যখনৰ নাম 'আসাম' বুলি

৩৬ স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ একবিংশতিতম্ অধিবেশন, ১৯৮৮ খ্ৰীঃ

৩৭ কোযেশ্বৰ বৰুৱা, সভাপতিৰ অভিভাষণ, দ্বিবিংশতিতম্ অধিবেশন, যোৰহাট, ১৯৮৫ খ্ৰীঃ, পৃঃ ২১; কোযেশ্বৰ বৰুৱা, সভাপতিৰ অভিভাষণ, পঞ্চবিংশতিতম্ অধিবেশন, ১৯৯৪ খ্ৰীঃ, পৃঃ ৩৩

৩৮ ঐ

৩৯ সদৌ চুতীয়া জাতি সন্মিলনৰ হৈ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ওচৰত স্মাৰক পত্ৰ দিবলৈ যোৱা সজাতি দল, ফাইল ফটো, স্মৃতিগ্ৰন্থ, কেকুৰী বেবেজীয়া অধিবেশন, ১৯৮২ খ্ৰীঃ



লিখা হৈছিল। উল্লেখযোগ্য যে প্ৰথম অৱস্থাত 'অসম সাহিত্য সভা'ৰ নাম 'আসাম সাহিত্য সভা' আছিল যদিও পিছলৈ, ১৯৪৪ খ্ৰীঃত সাহিত্য সভাই প্ৰস্তাৱ গ্ৰহণ কৰি আসামৰ ঠাইত অসম কৰিছিল। ঠিক সেইদৰে চুতীয়া সন্মিলন গঠন কৰাৰ সময়তো অসমৰ নাম আসাম বুলিয়েই চৰকাৰী ভাবে প্ৰচলন থকা হেতু প্ৰথম অৱস্থাত সংগঠনটিৰ নাম 'আসাম চুতীয়া সন্মিলন' আছিল। সম্ভৱতঃ ১৯২৯ খ্ৰীঃত অনুষ্ঠিত হোৱা সন্মিলনৰ তৃতীয় অধিবেশনৰ পিছত 'আসাম চুতীয়া সন্মিলন'ৰ ঠাইত 'অসম চুতীয়া সন্মিলন' কৰা হৈছিল আৰু সেই নামেৰেই সংগঠনটি চৰকাৰী ভাবে পঞ্জীয়ন কৰোৱাইছিল। কাৰণ ইয়াৰ পিছৰ অধিবেশনবোৰৰ প্ৰকাশিত কাৰ্যবিৱৰণী আৰু সন্মিলনৰ ৰাবাৰ ষ্টাম্পত সংগঠনৰ নাম 'অসম চুতীয়া সন্মিলন' বুলি লিপিবদ্ধ কৰিছিল। পুনৰবাৰ ১৯৩৮ খ্ৰীঃত অনুষ্ঠিত হোৱা ষষ্ঠ অধিবেশনৰ পিছত প্ৰস্তুত কৰা অসম চুতীয়া সন্মিলনৰ সংশোধিত নিয়মাৱলীৰ চতুৰ্থ সংস্কৰণত সংগঠনৰ নাম 'সদৌ অসম চুতীয়া সন্মিলন' কৰা হৈছিল। এইখন সংশোধিত নিয়মাৱলী ১৯৪৬ খ্ৰীঃত অনুষ্ঠিত হোৱা সন্মিলনৰ সপ্তম অধিবেশনত গ্ৰহণ কৰে।[৪০] চুতীয়া সন্মিলৰ এই নামকৰণো স্থায়ী নহ'ল। বুধীন্দ্ৰ কুমাৰ ৰাজখনিকৰ, কুলধৰ চুতীয়া, মহেশ্বৰ চুতীয়া, কোযেশ্বৰ বৰুৱা, সোণেশ্বৰ বৰা, তৰুণ চুতীয়া আদি নেতাসকলৰ তৎপৰতাত সন্মিলৰ পূৰ্বৰ দৃষ্টিভঙ্গী ক্ৰমে সলনি হ'বলৈ ধৰিলে। অতীত ইতিহাসৰ পম খেদি বিশাল বড়ো গোষ্ঠীৰ পৰা বঢ়া চুতীয়া গোষ্ঠীৰ ঠাল-ঠেঙুলিবোৰকো সাঙুৰি চুতীয়া সন্মিলনে বৃহৎ চুতীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰে অগ্ৰসৰ হোৱাৰ লগতে চুতীয়া কেৱল এটা সম্প্ৰদায় বুলি গণ্য নকৰি সমগোত্ৰীয় সকলকো সামৰি এটা জাতি হিচাবে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।[৪১] সন্মিলনৰ কলেবৰৰ ভিতৰত সমগ্ৰ চুতীয়া জাতিটোক সাঙুৰি লোৱাৰ উদ্দেশ্যে ১৯৭৬ খ্ৰীঃত অনুষ্ঠিত সন্মিলনৰ ঊনবিংশ অধিবেশনত সংগঠনৰ নাম পুনৰসলনি কৰি 'সদৌ চুতীয়া জাতি সন্মিলন, অসম' কৰা হয়।[৪২]

চুতীয়া সন্মিলৰ সাংগঠনিক পৰিসৰ বৃদ্ধি আৰু জাতিটোৰ মাজত সকলো স্তৰতে জাতীয়তাবোধ জগাই তুলি জাতিৰ সৰ্বাঙ্গীন উত্তৰণৰ কামনাৰে ১৯৪৬ খ্ৰীঃতে অনুষ্ঠিত হোৱা সন্মিলনৰ সপ্তমখন অধিবেশনত 'চুতীয়া মহিলা সন্মিলনী' আৰু 'চুতীয়া ছাত্ৰ সন্মিলন' নামৰ দুটা নতুন সংগঠনৰ প্ৰতিষ্ঠা কৰে। নৱগঠিত ছাত্ৰ সন্মিলন খনৰ সভাপতি

৪০ মৰাণ অধিবেশনত গৃহীত প্ৰস্তাবসমূহ, সদৌ অসম চুতীয়া সন্মিলৰ সপ্তম অধিবেশনৰ কাৰ্যবিৱৰণী, ১৯৪৬, পৃঃ ৯

৪১ অতীতত চুতীয়া এটা পূৰ্ণাঙ্গ জাতি আছিল - এটা জাতি (Nation) হোৱাৰ বাবে প্ৰয়োজনীয় সকলো স্বৰ্ত্ত - যেনে এখন সমাজ, কোনো নিৰ্দিষ্ট ভৌগোলিক সীমা ৰেখা, শাসন যন্ত্ৰ, ভাষা, সভ্যতা ইত্যাদি সকলো চুতীয়া ৰাজ্যত অটুত আছিল", গোলোক চন্দ্ৰ বৰা, সভাপতিৰ অভিভাষণ, সপ্তদশ বাৰ্ষিক অধিবেশন, ১৯৭২, পৃঃ ৯

৪২ কুলধৰ চুতীয়া, পূৰ্বোক্ত প্ৰবন্ধ, স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী, ২০০০, পৃঃ ৫

ৰূপে সোণাৰাম চুতীয়াদেৱক আৰু মহিলা সন্মিলনিৰ সভানেত্ৰী হিচাবে সুবৰ্ণবালা বৰাক নিৰ্বাচিত কৰিছিল। তেতিয়াৰ পৰাই সন্মিলনৰ কামত নতুন চামৰ ডেকা শক্তি আৰু মহিলাসকলে অংশ গ্ৰহণ কৰি সংগঠনৰ সাংগঠনিক দিশ সৱল কৰি তুলিলে।

চুতীয়া সন্মিলন প্ৰতিষ্ঠা হোৱাৰে পৰা জাতিটোৰ সৰ্বাঙ্গীন উন্নতিৰ অৰ্থে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি অহা দেখা গৈছে। সন্মিলনৰ অধিবেশনবোৰৰ প্ৰকাশিত কাৰ্যবিৱৰণীবোৰ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিখন অধিবেশনতে চুতীয়াসকলৰ অৰ্থনৈতিক দিশ আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে জ্ঞাতিবৃন্দক আহ্বান জনাই প্ৰস্তাব গ্ৰহণ কৰি আহিছে। ইয়াৰ লগতে চুতীয়া জনসাধাৰণক এইবোৰ দিশত সজাগ-সচেতন কৰিবৰ বাবে মাজে মাজে জাগৰণ সভা আদিও অনুষ্ঠিত কৰিছিল। ১৯২৭ খ্ৰীঃৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাসকলক উদ্‌গণি বঁটা প্ৰদান কৰি আহিছে। ইয়াৰ উপৰিও সময়ে সময়ে বিভিন্ন দিশত কৃতিত্ব অৰ্জন কৰা চুতীয়া লোকসকলকো সন্মিলনৰ তৰফৰ পৰা সন্মান জনাই আহিছে। ১৯৮২ খ্ৰীঃত কেকুৰী-বেজীয়াত অনুষ্ঠিত চুতীয়া সন্মিলনৰ একবিংশতম্ অধিবেশনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ড° স্বৰ্ণলতা বৰুৱা, নৃতত্ব বিভাগৰ ড° পৰন চন্দ্ৰ শইকীয়া আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ড° ৰামপ্ৰসাদ দেউৰীক ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে সম্বৰ্দ্ধণা জনোৱা হৈছিল। যদিও এই সম্বৰ্দ্ধনা এই ব্যক্তিকেইজনে ডিগ্ৰী লাভ কৰাৰ কেইবা বছৰৰো পিছতহে জনোৱা হৈছিল, তথাপি ই এটা সুস্থ পৰম্পৰাৰ বাট মুকলি কৰিছিল। ইয়াৰ পিছৰ বছৰত যোৰহাটত অনুষ্ঠিত দ্বাবিংশতম্ অধিবেশনত সেই পৰম্পৰা মানি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ ৰীডাৰ ড° কমলাকান্ত দাসক ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে সম্বৰ্দ্ধনা জনোৱা হৈছিল। ৰাজনৈতিক দিশতো যিসকল ব্যক্তিয়ে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে সেইসকলকো যাৱতীয় সমৰ্থন দিয়া দেখা যায়। বিভিন্ন দিশত কৃতিত্ব অৰ্জন কৰি যিসকলব্যক্তিয়ে জাতিটোলৈ গৌৰৱ কঢ়িয়াই আনিছে সেইসকল ব্যক্তিক চুতীয়া সন্মিলনৰ তৰফৰ পৰা 'ৰত্নধ্বজপাল বঁটা' আৰু 'সতী সাধনী' বঁটা নামেৰে দুটা বঁটা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই মৰ্মে ২০০২ খ্ৰীঃত সন্মিলনৰ ঊনত্ৰিংশতম্ তিতাবৰ, বৰহোলা অধিবেশনত প্ৰথম বাৰৰ বাবে চুতীয়া জাতিৰ দুজন উল্লেখযোগ্য ব্যক্তি ডাঃ নোমল বৰাক 'ৰত্নধ্বজপাল' বঁটা আৰু ড° জয়ন্তী চুতীয়াক 'সতী সাধনী' বঁটা প্ৰদান কৰা হয়।

চুতীয়া সন্মিলৰ আন কেইটামান উল্লেখনীয় কাম হৈছে - সন্মিলনৰ প্ৰতিখন অধিবেশনৰ কাৰ্যবিৱৰণী পুস্তিকা আকাৰত চপা কৰি প্ৰকাশ কৰা, সন্মিলৰ মুখপত্ৰ আৰু আলোচনী প্ৰকাশ কৰা, চুতীয়া জাতিৰ পুৰাতনীয় সমল উদ্ধাৰ কৰাৰ মানসেৰে 'কুণ্ডিল অনুসন্ধান সমিতি' গঠন কৰা, চুতীয়া জনসংখ্যা নিৰ্দ্ধাৰণৰ বাবে পিয়ল ফৰ্ম প্ৰস্তুত কৰি বিতৰণ কৰা আৰু জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী প্ৰণয়ন কৰিবৰ বাবে কৰা প্ৰচেষ্টা। চুতীয়া সন্মিলনৰ প্ৰতিখন অধিবেশনৰ অন্তত প্ৰকাশ পোৱা ছপা কাৰ্যবিৱৰণীবোৰৰ পৰা



সন্মিলনৰ ইতিহাস আৰু কাৰ্যক্ৰমনিকা অধ্যয়নত সহায়ক হৈছে।

চুতীয়া সন্মিলনৰ অগ্ৰণী প্ৰতিষ্ঠাতা তথা প্ৰতিস্থাপক সম্পাদক ভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ মৃত্যু হোৱাৰ পিছত তেওঁৰ নাম অনুসৰিয়েই চুতীয়া সন্মিলনৰ এখন মুখপত্ৰ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিছিল। সেই উদ্দেশ্যেই ১৯৪৫ খ্ৰীঃৰ জুন মাহত বাদুলী পুখুৰীত অনুষ্ঠিত প্ৰতিনিধি সভাত 'ভ্ৰমৰ চন্দ্ৰ শইকীয়া স্মৃতি ৰক্ষা সমিতি' এখন গঠন কৰিছিল। প্ৰথম অৱস্থাত ইয়াৰ সভাপতি ইন্দ্ৰেশ্বৰ চুতীয়া আৰু সম্পাদক বুদ্ধীন্দ্ৰনাথ ৰাজখনিকৰ আছিল।[৪৩] এইখন সমিতিয়ে সংগ্ৰহ কৰা পুঁজিৰে স্বৰ্গীয় শইকীয়াদেৱৰ স্মৃতিত সদৌ অসম চুতীয়া সন্মিলনৰ মুখপত্ৰ **ভ্ৰমৰ** প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ১৯৪৭ চনৰ ৫ নৱেম্বৰ তাৰিখে শিৱসাগৰৰ মেটেকাত অনুষ্ঠিত সন্মিলনৰ কাৰ্যকৰী অধিবেশনত মোহনৰাম শইকীয়াক সম্পাদক, সোণাৰাম চুতীয়া, মহেশ্বৰ চুতীয়া আৰু বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰক সদস্য হিচাবে লৈ এখন সম্পাদনা সমিতি গঠন কৰিছিল।[৪৪] এই সম্পদনা সমিতিখনে ১৮৬৯ শক (১৯৪৭ খ্ৰীঃ)-ৰ মাঘ মাহত **ভ্ৰমৰৰ** প্ৰথম বছৰৰ প্ৰথম সংখ্যা প্ৰকাশ কৰে। সন্মিলনৰ মুখপত্ৰ **ভ্ৰমৰ** কেইবছৰমান ধাৰাবাহিকভাবে প্ৰকাশ হোৱাৰ পিছত অৰ্থৰ অভাৱত ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিলে। পিছলৈ **ভ্ৰমৰৰ** প্ৰয়োজনীয়তা পূৰণ কৰিলে সন্মিলনৰ বিভিন্ন অধিবেশনবোৰত প্ৰকাশিত স্মৃতি গ্ৰন্থসমূহে। ১৯৬৮ খ্ৰীঃত যোৰহাটৰ পীড়াকটাত অনুষ্ঠিত সন্মিলনৰ চতুৰ্দশ অধিবেশনত সন্মিলনৰ প্ৰথমখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিছিল।[৪৫] তেতিয়াৰে পৰা সন্মিলনৰ প্ৰতিখন অধিবেশনতে একোখন স্মৃতিগ্ৰন্থ প্ৰকাশ হৈ আহিছে। **ভ্ৰমৰৰ** প্ৰায় চাৰি দশকৰ পিছত ১৯৯৩ খ্ৰীঃত সন্মিলনে **কুণ্ডিল** নামৰ দ্বিতীয়খন মুখপত্ৰ প্ৰকাশ কৰিছিল। প্ৰথম কেইবছৰমান **কুণ্ডিলৰ** সম্পাদক আছিল ভৰকান্ত চুতীয়া। **কুণ্ডিল**-এ বৰ্তমানেও ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে।

চুতীয়া জাতিৰ ইতিহাস, ঐতিহ্য আৰু পুৰাতত্ত্বৰ অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰতো সন্মিনলে প্ৰথম অৱস্থাৰে পৰা বিভিন্ন ধৰণে চেষ্টা অব্যাহত ৰখা দেখা যায়। সন্মিলনৰ প্ৰথমখন নিয়মাৱলীতে চুতীয়া জাতিৰ এখন বুৰঞ্জী প্ৰকাশ কৰাৰ বিষয়টো উদ্দেশ্য হিচাবেই লৈছিল। কিন্তু প্ৰয়োজনীয় অৰ্থৰ অভাৱত সেই কাম সোনকালে কৰিব পৰা নাছিল। সেই উদ্দেশ্যে সন্মিলনে বিংশ শতিকাৰ যাঠিৰ দশকতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপক ড° পৰন চন্দ্ৰ শইকীয়াৰ অধ্যক্ষতাত 'কুণ্ডিল অনুসন্ধান সমিতি' নামৰ এখন সমিতি গঠন কৰিছিল।[৪৫] এইখন সমিতিয়ে গৱেষণা মূলক কামত যথেষ্টখিনি

---

[৪৩] মোহনৰাম শইকীয়া, সম্পাদকীয়, **ভ্ৰমৰ**, মুখপত্ৰ, সদৌ অসম চুতীয়া সন্মিলন, প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১৯৪৭

[৪৪] ঐ

[৪৫] চতুৰ্দশ অধিবেশনৰ প্ৰস্তৱসমূহ, পৃঃ ২১

[৪৫] কুলধৰ চুতীয়া, পূৰ্বোক্ত প্ৰবন্ধ, **স্মৃতিগ্ৰন্থ**, মহাৰজত জয়ন্তী, ২০০০, পৃঃ ৫

আগবাঢ়িছিল যদিও অৰ্থৰ অভাৱতে ফলপ্ৰসু হ'ব নোৱাৰিলে। জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জীৰ অভাৱ পূৰণৰ কথা সন্মিলনে প্ৰতিক্ষণতে উপলব্ধি কৰিছিল। সেই অভাৱ পূৰণৰ অৰ্থেই ১৯৮৫ খ্ৰীঃৰ সেই সময়ৰ সন্মিলনৰ সভাপতি কোষেশ্বৰ বৰুৱা দেৱৰ কাৰ্যকালত এখন বুৰঞ্জী প্ৰণয়ন সমিতি গঠন কৰিছিল।[৪৬] একেটা কাৰণতে এইখন সমিতিও সফল হ'ব নোৱাৰিলে। তৎস্বত্বেও সন্মিলনে আশাসুধীয়া প্ৰচেষ্টাৰে বুৰঞ্জী প্ৰণয়নৰ প্ৰয়াস অব্যাহত ৰাখিলে। ইতিমধ্যে অসম সাহিত্য সভাৰ দ্বাৰা ৰাইজৰ দান-বৰঙণিৰে **বিশ্বকোষ** নামৰ গ্ৰন্থখন প্ৰকাশ কৰিবলৈ লোৱাত চুতীয়া সন্মিলনৰ মনোবল বৃদ্ধি হ'ল। অৱশেষত সন্মিলনৰ সভাপতি শ্ৰীশৰৎ শইকীয়া আৰু সম্পাদক শ্ৰীহৰেণ চুতীয়াদেৱৰ কাৰ্যকালত ২০০২ চনত যোৰহাটৰ জিলা পুথি ভঁড়ালত এখন সভা অনুষ্ঠিত কৰে আৰু সেই সভাত সন্মিলনৰ আমন্ত্ৰন ক্ৰমে অসম সাহিত্যসভাৰ প্ৰক্তন সভাপতি শ্ৰীহোমেন বৰগোহাঞীদেৱৰ উপস্থিত থাকি সন্মিলনক বুৰঞ্জী প্ৰণয়নৰ কামত উৎসাহ দিয়ে আৰু সেই সভাতেই চুতীয়া বুৰঞ্জী প্ৰণয়ন সমিতি এখন গঠন কৰে। প্ৰথম অৱস্থাত বুৰঞ্জী প্ৰণয়ন সমিতিৰ সভাপতি হিচাবে শ্ৰীশৰৎ শইকীয়াদেৱক দায়িত্ব দিয়া হৈছিল যদিও পাছত সেই দায়িত্ব মিনাৰাম চুতীয়া দেৱক দিয়া হয়। ২০০৪ চনত চুতীয়া জাতি বুৰঞ্জী প্ৰণয়ন সমিতিৰ দ্বাৰা ড° স্বৰ্ণলতা বৰুৱাক অধ্যক্ষ আৰু প্ৰধান সম্পাদক, ড° ডম্বৰুধৰ নাথক সম্পাদক হিচাবে লৈ এখন পোন্ধৰজনীয়া সম্পাদনা সমিতি গঠন কৰি বুৰঞ্জী প্ৰণয়নৰ কাম ক্ষীপ্ৰতৰ কৰি তোলে।

চুতীয়া সন্মিলনৰ আন এটা উল্লেখযোগ্য কাম হ'ল 'চুতীয়া সংস্কৃতিক বিকাশ কেন্দ্ৰ' প্ৰতিষ্ঠা কৰা। ১৯৯২-১৯৯৩ খ্ৰীঃৰ পৰাই সন্মিলনে এই প্ৰচেষ্টা অব্যাহত ৰাখিছিল। সেই সময়ৰ সন্মিলনৰ সভাপতি কোষেশ্বৰ বৰুৱা, সম্পাদক লক্ষীধৰ বৰাৰ লগতে কুলধৰ চুতীয়া, শৰৎ শইকীয়া, ধীৰেন্দ্ৰনাথ শইকীয়া, বোপাৰাম ভাজনী, কুলনাথ চুতীয়া আদি ব্যক্তিসকলৰ প্ৰচেষ্টাত গুৱাহাটীৰ বৰবাৰীত চুতীয়া সংস্কৃতিক বিকাশ কেন্দ্ৰ আৰু সাধনী ভৱন প্ৰতিষ্ঠা কৰে। ইয়াৰ অনুকৰণতে অসমৰ প্ৰতিখন জিলা সদৰতো একোটিকৈ সাধনী ভৱন নিৰ্মাণৰ কাম চলি আছে।

জন্মলগ্নৰে পৰা এটা অৰাজনৈতিক সংগঠন হিচাবে কাম কৰি অহা সদৌ চুতীয়া জাতি সন্মিলন, অসমে বিভিন্ন কাৰ্য-ক্ৰমনিকাৰ মাজেৰে অতিবাহিত কৰি আজিৰ অৱস্থাত উপনীত হৈছেহি। এই সুদীৰ্ঘ সময়ছোৱাত সন্মিলনে গ্ৰহণ কৰা কাৰ্যসূচী আৰু দাবীবোৰ সফল-বিফলতাৰ মাজেৰে পাৰ হৈছে। বৰ্তমান সময়ত চুতীয়া সন্মিলনৰ কৰ্তব্যবোৰ হৈছে চুতীয়াসকলক জনজাতিৰ তালিকাভূক্ত কৰোৱা, বীৰাঙ্গনা ৰাণী সাধনীৰ নামত নিৰ্মিয়মান ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থ দলংখনৰ নামকৰণ কৰোৱা আৰু চুতীয়া জাতিৰ সৰ্বাঙ্গীন উন্নতিৰ হকে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা। ১৯৭৯ খ্ৰীঃৰ পৰাই সন্মিলনে

[৪৬] কুল চুতীয়া, পূৰ্বোক্ত প্ৰবন্ধ, ১৯৮৯, পৃঃ ৩৩



চুতীয়াসকলক জনজাতিকৰণৰ দাবী চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। ঠিক সেইদৰে ১৯৮৫ খ্ৰীঃৰ পৰাই ব্ৰহ্মপুত্ৰৰ ওপৰত হ'ব লগা চতুৰ্থখন দলঙৰ নাম সতী সাধনীৰ নামেৰে নামকৰণ কৰিবলৈ সন্মিলনে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে।[৪৭] চৰকাৰৰ ওচৰত চুতীয়া সন্মিলনৰ এই দুটা মুখ্য দাবীৰ উপৰিও আন আন দাবীবোৰ হ'ল-

(ক) অসম মন্ত্ৰী-সভাত চুতীয়া বিধায়কক মন্ত্ৰীত্ব দিয়া

(খ) সংসদলৈ চুতীয়া ব্যক্তিক নিৰ্বাচন কৰা

(গ) অসম লোকসেৱা আয়োগত চুতীয়া জাতিৰ লোকক সদস্য হিচাবে নিযুক্তি দিয়া

(ঘ) ব'ৰ্ড, নিকায়, নিগম আদিত চুতীয়া লোকক অধ্যক্ষ/ সদস্য নিযুক্তি দিয়া

(ঙ) চৰকাৰী আৰু অৰ্দ্ধচৰকাৰী বিভাগত চুতীয়া জাতিৰ যুৱক-যুৱতীক নিযুক্তি দিয়া

(চ) স্বায়ত্ব শাসিত পৰিষদবোৰত চুতীয়া জাতিৰ ব্যক্তিক কাৰ্যবাহী সদস্য নিযুক্তি দিয়া আদি।[৪৮]

সদৌ চুতীয়া জাতি সন্মিলন, অসম, চুতীয়া জাতিৰ ত্ৰাণকৰ্তা অভিভাৱক স্বৰূপ আৰু জাতিৰ উমৈহতীয়া শীৰ্ষ গণতান্ত্ৰিক মঞ্চ। আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু শৈক্ষিক ভাবে পিচপৰা চুতীয়া জাতিৰ ভৱিষ্যত সুৰক্ষিত কৰিবৰ নিমিত্তে সদৌ চুতীয়া জাতি সন্মিলনৰ জন্ম। জন্মলগ্নৰে পৰাই চুতীয়া সন্মিলনে অসমৰ চুকে-কোণে সিচঁৰিত হৈ থকা চুতীয়াসকলক একগোট কৰি এক মঞ্চৰ আবৰ্তলৈ আনিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। আহোমৰ লগত পৰাজিত হৈ সিচঁৰিত হোৱা আৰু পাছত মানৰ আক্ৰমনৰ ফলত জুৰুলা হৈ ক্ৰমে অৱক্ষয়ৰ গৰাহত পৰা চুতীয়া লোকসকলেও অথাই সাগৰত খেৰ-কুটা বিচাৰি পোৱাৰ দৰে সন্মিলনক আদৰি লয়। এই খিনিতে আজিৰ দৰে কল্পনা কৰিব নোৱাৰা যাতায়তৰ অসুচল অৱস্থা এটাত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ঘূৰি-পকি জাতিৰ পুনৰ সংগঠন, জাগৰণ আৰু এখন সন্মিলন প্ৰতিষ্ঠাৰ দৰে দুৰূহ কাম কৰা সেই নমস্য ব্যক্তিসকলক আজিৰ সমগ্ৰ চুতীয়া জাতিয়ে শ্ৰদ্ধাৰে স্মৰণ কৰাটো প্ৰয়োজন। কাৰণ সামাজিক অবহেলা, চুতীয়া বুলিলে কেতবোৰ তথাকথিত উচ্চ জাতৰ মানুহৰ তাচ্ছিল্য সূচক মন্তব্য, অসমত ইংৰাজসকলৰ বৰ্ণ-বৈষম্য নীতি আৰু উচ্চ জাত প্ৰীতি আদিৰ ফলত চুতীয়াসকলে নিজৰ জাতিৰ পৰিচয় লুকুৱাব খুজিছিল।[৪৯] এচামে হিন্দু চুতীয়াৰ পৰিচয়েৰে নিজকে আনসকল চুতীয়াতকৈ উচ্চ প্ৰতিপন্ন কৰিব বিচাৰিছিল।

[৪৭] কোষেশ্বৰ বৰুৱা, সভাপতিৰ অভিভাষণ, দ্বিবিংশতিতম্ অধিবেশন, যোৰহাট, ১৯৮৫, পৃঃ ২১

[৪৮] ভোগেশ্বৰ শইকীয়া, পূৰ্বোক্ত প্ৰবন্ধ, কাকডোঙা, ২০০৫, পৃঃ ৯৯

[৪৯] গোলোকচন্দ্ৰ বৰা, সভাপতিৰ অভিভাষণ, সপ্তদশ অধিবেশন, ১৯৭২, পৃঃ ৫

CHUTIYA JATIR BURANJI, a History of the Chutiyas of Assam, edited by Professor (Mrs.) Swarna Lata Baruah, Chairman and Chief-Editor and Professor Dambarudhar Nath, Editor and published by the Chutiya Jatir Buranji Pranayan Samiti, All Chutiya Jati Sanmilan, Assam.

© সদৌ চুতীয়া জাতি সন্মিলন, অসম

প্ৰকাশ : প্ৰথম প্ৰকাশ
৭ ব'হাগ, ১৯২৯ শক/২১ এপ্ৰিল, ২০০৭ চন।

প্ৰকাশক : চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতি
সদৌ চুতীয়া জাতি সন্মিলন, অসম

বেটুপাতৰ আৰ্হি : শ্ৰীচন্দন চুতীয়া

ডি.টি.পি. : শ্ৰীবিদ্যুৎ চুতীয়া

মূল্য : ৩৫০.০০ টকা

মুদ্ৰক : ভৱানী অফ্‌চেট এণ্ড ইমেইজিং ছিষ্টেমচ্ প্ৰাঃলিঃ
ৰাজগড় ৰ'ড, লাচিত লে'ন গুৱাহাটী - ৭৮১০০৭
ফোন ঃ ০৩৬১-২৫২৪০৫৬, ২৫২৮১৫৫

চুতীয়া জাতিৰ বুৰঞ্জী সম্পাদনা সমিতি

উপদেষ্টা : শ্ৰী হোমেন বৰগোহাঞি
ড° কুলেন্দু পাঠক
অধ্যক্ষ তথা মুখ্য সম্পাদক : ড° স্বৰ্ণলতা বৰুৱা
সম্পাদক : ড° ডম্বৰুধৰ নাথ
সদস্যবৃন্দ : শ্ৰী মৃদুপৱন গোস্বামী
শ্ৰী কোযেশ্বৰ বৰুৱা
শ্ৰী কৃষ্ণপ্ৰসাদ বৰুৱা
ড° দুৰ্গেশ্বৰ দলে
ড° ভীমকান্ত বৰুৱা
ড° জাহ্নৱী গগৈ নাথ
ড° আনন্দ বৰমুদৈ
শ্ৰী ললিত চুতীয়া
শ্ৰী জিতেন চুতীয়া
ড° বেণু গগৈ
ড° অজিত বৰা
শ্ৰী মানিক শইকীয়া
ড° দুৰ্গেশ্বৰ বৰা
ড° সৰ্বেশ্বৰ চুতীয়া
শ্ৰী যতীন চুতীয়া

চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতি

সভাপতি : শ্ৰী মিনাৰাম চুতীয়া
উপসভাপতি ও সমন্বয়ৰক্ষী : শ্ৰী কীৰ্ত্তি চুতীয়া
সাধাৰণ সম্পাদক : শ্ৰী হৰেণ চুতীয়া
সদস্যবৃন্দ : শ্ৰী দেবেশ্বৰ বৰা
শ্ৰী দিবাকৰ বৰা
শ্ৰী মোহন চন্দ্ৰ বৰা
শ্ৰী মনোৰঞ্জন চুতীয়া

সিন্ধু সভ্যতাৰ ইতিহাস। প্ৰত্নতাত্ত্বিক নিদৰ্শনক তিনিটা ভাগত ভাগ কৰিব পাৰি ঃ (ক) ফলি বা লিপি, (খ) ঐতিহাসিক স্মৃতিচিহ্ন আৰু (গ) মুদ্ৰা।

**ফলি বা লিপি ঃ** প্ৰত্নতাত্ত্বিক সমলৰ ভিতৰত ফলি বা লিপিবিলাকেই আটাইতকৈ গুৰুত্বপূৰ্ণ। এই লিপিবিলাকত যিবোৰ কথা খোদিত কৰা হয় সেইবোৰ মোটা-মোটিভাৱে স্থায়ী হয়। সেইবাবেই ইতিহাস ৰচনাৰ বাবে এই লিপিবোৰ হ'ল অতি নিৰ্ভৰযোগ্য উপাদান। বিষয়বস্তু অনুসৰি লিপি বিলাকক প্ৰধানতঃ তিনিভাগত ভগোৱা হয় - (১) ৰাজপ্ৰশস্তি, (২) ৰাজকীয় ঘোষণা আৰু (৩) দানপত্ৰ।

চুতীয়াসকলৰ ৰাজত্বকাল দীঘলীয়া; কিন্তু প্ৰাচীন যুগৰ কোনো চুতীয়া ৰজাৰ ফলি এতিয়াও উদ্ধাৰ হোৱা নাই। মধ্যযুগৰ চুতীয়া ৰজাসকলৰো মাত্ৰ সাতখন লিপিহে এতিয়ালৈকে উদ্ধাৰ হৈছে। ইয়াৰে মাত্ৰ এখনহে ৰাজকীয় ঘোষণা বিষয়ক। বাকী ছখনেই দানপত্ৰ। শুদ্ধ ৰাজ-প্ৰশস্তিমূলক কোনো ফলি এতিয়ালৈকে পোৱা নাই।

কেইবাখনো ফলিৰ আখৰ ঠায়ে ঠায়ে মচ্ খাই গৈছে, ফলত সম্পূৰ্ণ শব্দ বা নামটো শুদ্ধকৈ পঢ়িব নোৱাৰা হৈছে। তৎস্বত্বেও ফলিখনৰ ভাৱাৰ্থ বুজাত বিশেষ অসুবিধা নহয়।

চুতীয়াসকলৰ ৰাজত্বকালৰ ৰাজকীয় ঘোষণা বিষয়ক লিপিখন হ'ল বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ নামনি দিবং উপত্যকা জিলাৰ পায়াত অৱস্থিত তাম্ৰেশ্বৰী (দিক্কৰবাসিনী) মন্দিৰৰ দেৱালত খোদিত শিলালিপি। এই লিপি খোদিত কৰা হৈছিল ১৩৬৪ শক (১৪৪২ খ্ৰীঃ)ৰ আঘোণ মাহত। ইয়াৰ ভাষা সংস্কৃত আৰু লিপি অসমীয়া। এই লিপিৰ মতে শিৱৰ আশীৰ্বাদত বৃদ্ধৰাজাৰ পুত্ৰ মুক্তা/যুৱা-ধৰ্ম নাৰায়ণে এই মন্দিৰৰ ইটাৰ বেৰা নিৰ্মাণ কৰাইছিল। মুক্তা/যুৱা-ধৰ্মনাৰায়ণৰ পিতৃৰ নামটো নিদিয়ালৈ চাই এই কথা অনুমান কৰিব পাৰি যে পিতৃৰ বৃদ্ধকালত মুক্তা/যুৱা-ধৰ্মনাৰায়ণে হয়তো পিতৃৰ হৈ ৰাজ্য শাসন কৰিছিল। এই লিপিৰ পাঠোদ্ধাৰ কৰিছিল বিখ্যাত প্ৰত্নতত্ত্ববিদ ড° দীনেশ চন্দ্ৰ সৰকাৰে।[১১৩]

দানপত্ৰ (ফলি)সমূহৰ দুখন ৰজা সত্যনাৰায়ণে ১৩১৪ শক (১৩৯২ খ্ৰীঃ)ত ভূমি দান দিয়া ফলি। ইয়াৰে এখনত তিনিজন ৰজাৰ নাম উল্লেখ থকালৈ চাই এই ফলিখন দুবাৰ নবীকৰণ হোৱা বুলি ধৰিব পাৰি। সত্যনাৰায়ণৰ আনখন ফলিও ধৰ্মনাৰায়ণ ৰজাই নবীকৰণ কৰা। দুয়োখন ফলিতে নবীকৰণৰ কোনো চন তাৰিখ উল্লেখ নাই। তিনিজন ৰজাৰ নাম থকা সত্যনাৰায়ণৰ ফলিখন ঘিলামৰাৰ ওচৰৰ ধেনুখনাৰ এটা পুখুৰীত

[১১৩] **Journal of Ancient Indian History**, vol.i,1968, pp. 17-21.



পোৱা গৈছিল। এই ফলিৰ পাঠোদ্ধাৰ কৰিছে প্ৰত্নতত্ত্বনুৰাগী সৰ্বেশ্বৰ বৰুৱাদেৱে।[১১৪] ফলিখনৰ প্ৰথমজন দাতা ৰজা হ'ল ১৫-১৬ নং শাৰীত উল্লেখিত ভূপতি সত্যনাৰায়ণ। তেওঁ ১৩১৪ শক (১৩৯২ খ্ৰীঃ)ত নাৰায়ণ দ্বিজ নামৰ এজন ব্ৰাহ্মণক ধবলী নদীৰ পাৰত লুদুমিমাৰী নামৰ ঠাইত ৬০০ পুটি (পুৰা) ভূমিদান কৰাৰ কথা আছে। দ্বিতীয়জন হ'ল ৩৩ নং শাৰীত উল্লেখিত ৰজা প্ৰত্যক্ষনাৰায়ণ। তেওঁ ব্যাঘ্ৰমাৰী নামৰ ঠাইত নাৰায়ণ দ্বিজৰ পুত্ৰক ৬০০ পুটি মাটি দিয়াৰ কথা উল্লেখ আছে। তদুপৰি ৩৬-৩৭ নং শাৰীত তৃতীয় এজন ৰজাই ভাৰ্গৱাত্মজ বিপ্ৰক ২০০ পুটি মাটি দান দিয়াৰ কথা আছে। তেওঁৰ নামটো মচ খাই গৈছে। বৰুৱাদেৱে নামটো যশনাৰায়ণ বা যমনাৰায়ণ বুলি চিনাক্ত কৰিছে। তেওঁ দিয়া ভূমিৰ অৱস্থিতি নিৰ্ণয় কৰিবপৰা হোৱা নাই। বৰুৱাদেৱে ফলিৰ 'ধবলীচ' উত্তৰ-লক্ষীমপুৰৰ ঢল নৈ আৰু 'ব্যাঘ্ৰমাৰি'ক জালভাৰীৰ ওচৰৰ বাঘমূৰি নামৰ ঠাই বুলি চিনাক্ত কৰিছে। এই ভূমিখণ্ডই পূৰ্বৰ প্ৰখ্যাত হাবুং অঞ্চল য'ত অনেক ব্ৰাহ্মণৰ বসতি আছিল। ফলিখনে চুতীয়া ৰাজবংশৰ ধৰ্মবিশ্বাসৰ লগতে প্ৰশাসন ব্যৱস্থাৰ ওপৰতো আলোকপাত কৰিছে। ফলিখনৰ লেখাৰ আৰম্ভণিতে পঞ্চদেৱতাৰ চাৰিজনক স্মৰণ কৰা হৈছে - গণপতি, দৈত্য নিধনকাৰী বাসুদেৱ, প্ৰণতজনৰ প্ৰিয় ঈশানক আৰু হিমালয় কন্যা ত্ৰিপুৰাৰি-প্ৰিয়া অম্বাক। ফলিখনৰ জৰিয়তে মুখ্য নৃপতি সত্যনাৰায়ণে ভূমিদানৰ লগতে বৃত্তিকাৰ মানুহো দান কৰিছে। লগতে দুই কুণ্ডাৱল (?) জোখৰ নৌস্থলীও দিয়া হৈছে। ফলিখনত কেইবাজনো ব্ৰাহ্মণৰ নামগোত্ৰ দিয়া হৈছে। সম্ভৱতঃ তেওঁলোক ভূমিদানৰ সাক্ষী আছিল।

ঘিলামৰাৰ বৰমূৰ্তিয়া বিলৰ পাৰত উদ্ধাৰ হোৱা ফলিখন সত্যনাৰায়ণ ৰজাই ১৩১৪ শক (১৩৯২ খ্ৰীঃ)ত ভূমিদান কৰা দ্বিতীয়খন ফলিৰ ৰজা ধৰ্মনাৰায়ণে কৰা নবীকৰণ। ঘিলামৰা অঞ্চলৰ কুলধৰ শইকীয়াই ফলিখন সৰ্বেশ্বৰ বৰুৱাৰ হাতত অৰ্পণ কৰিছিল। ফলিখনৰ বিষয়ে বৰুৱাদেৱে লিখিছে - 'ফলিখন দীঘলে ৭$^{১}/_{৮}$ ইঞ্চি, পুতলে ৪$^{৩}/_{৮}$ ইঞ্চি। কাণ-মূৰ চিগা অৱস্থাত আৰু বাওঁফালৰ আখৰবিলাক কিছু মামৰে খোৱা বাবে পাঠ উদ্ধাৰ কষ্টসাধ্য আৰু অসম্ভৱ হৈছে। এচটা তামৰ ফলিৰ দুয়োপিঠিতে লিপিকাৰে সম্পূৰ্ণ শাসন জোৰাব নোৱাৰি শাসনৰ শেষৰ এশাৰী কথা বেছি সৰু সৰু আখৰে অস্পষ্টকৈ খোদিত কৰিবলগা হৈছিল যেন অনুমান হয়'।'[১১৫] বৰুৱাদেৱে ফলিখনৰ পাঠ আংশিকভাৱে উদ্ধাৰ কৰি লিখিছে - 'শিৱ পুত্ৰ গণপতিক ভজনা কৰি শত্ৰাজিত নামে যুৱৰাজৰ উল্লেখ কৰি মহাৰাজ সত্যনাৰায়ণৰ প্ৰশংসা কৰা হৈছে। গৌৰাত্ৰেয় গোত্ৰজ

[১১৪] 'চতুৰ্দশ শতিকাৰ চুটীয়া ৰাজত্ব', **মণিদীপ**, পঞ্চম বছৰ, সংখ্যা ১-৪, নবেম্বৰ ১৯৬৪-ফেব্ৰৱাৰী ১৯৬৫; 'Some Ancient Relics found in North Lakhimpur', **Journal of the Assam Research Society** (henceforth **JARS**), vol.iii, no.2, July 1935; মহেশ্বৰ নেওগ সম্পাদিত **প্ৰাচ্য শাসনাৱলী**, ফলি নং ১০৬,পৃঃ ৮২-৮৫।

[১১৫] 'চতুৰ্দশ শতিকাৰ চুটীয়া ৰাজত্ব' (ঐ, প্ৰথম সংখ্যা, পৃঃ ৭০)।

আন কিছুমানে নিজৰ উপাধিটোকে সলনি কৰি অন্য জাতিত বিলীন হৈছিল বা হ'ব বিচাৰিছিল। এনেধৰণৰ উদাহৰণ বহুতো পোৱা যায়। এনে এক সন্ধিক্ষণত সেইসকল মহান ব্যক্তিয়ে তৎপৰ হৈ অৱক্ষয়ৰ গৰাহত পৰা জাতিটোক এক সংগঠনৰ দ্বাৰা ঐক্যবদ্ধ কৰিবলৈ যত্ন নকৰা হ'লে বৰ্তমান সময়ত চুতীয়া জাতিৰ কি অৱস্থা হ'ব পাৰে সেই কথা সকলোৰে বিদিত। সদৌ চুতীয়া জাতি সন্মিলন, অসমে জন্মলগ্নৰে পৰা জাতিৰ উত্তৰণৰ স্বাৰ্থত কৰি অহা কামবোৰ সফল-বিফলতাৰ মাজেৰেই অতিবাহিত হৈছে। জাতিটোৰ বাবে সন্মিলনৰ কৰণীয় এতিয়াও বহুতো বাকী আছে। সকলো দিশতে পিচপৰা, অবহেলিত অসমৰ চুতীয়া জনগণেও এটা পৰিবৰ্তনৰ আশাৰে চুতীয়া সন্মিলনলৈকে বাট চাই আছে। এই ক্ষেত্ৰত চুতীয়া সন্মিলনে সময় উপযোগী আৰু অধিক গতিশীল নেতৃত্বৰে কামত অগ্ৰসৰ হোৱা উচিত।

# পৰম্পৰা আৰু পৰিবৰ্তনৰ দোমোজাত চুতীয়াসকল

চুতীয়াসকল অসমৰ প্ৰাচীন অধিবাসীসকলৰ অন্যতম। ইতিহাসৰ সুদীৰ্ঘ পৰিক্ৰমাত অসমৰ আনসকল অধিবাসীৰ দৰেই চুতীয়াসকলেও পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ বহুবোৰ জটিল প্ৰক্ৰিয়াৰ মাজেৰে আহি বৰ্তমানৰ অৱস্থা পাইছেহি। এনে প্ৰক্ৰিয়াৰ মাজেদি আহোঁতে তেওঁলোকৰ জীৱনপ্ৰণালীৰ কোনো কোনো ক্ষেত্ৰত বিস্তৰ পৰিবৰ্তন সাধিত হৈছে, ক'ৰবাত চকুত নপৰা ধৰণৰ পৰিবৰ্তন ঘটিছে আৰু কোনো কোনো ক্ষেত্ৰত অপৰিবৰ্তনীয় ৰূপত থকা জীৱনধাৰাই নানা সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আনহাতে কিছুমান দিশত তেওঁলোকৰ সংস্কৃতিয়ে চমকপ্ৰদ বিকাশো লাভ কৰিছে। চুতীয়াসকলৰ ধৰ্মবিশ্বাস, লোকাচাৰ, খাদ্যাভাস, আচাৰ-অনুষ্ঠান, সাজ-পোচাক, কৃষি-বাণিজ্য-শিল্প-ৰাজনীতি — এই সকলোতে পৰম্পৰা আৰু পৰিবৰ্তনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া চলি থকাটো লক্ষ্য কৰা যায়।

বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত আৰু চমকপ্ৰদ অগ্ৰগতি ঘটিছে। মানুহ উদ্যোগমূখী আৰু নগৰ কেন্দ্ৰিক জীৱনধাৰাত অভ্যস্ত হৈ পৰিছে। কৃষি আৰু হস্তশিল্প-নিৰ্ভৰ গ্ৰামীন সমাজত স্বচ্ছন্দভাৱে জীয়াই থকা পৰম্পৰাগত সংস্কৃতি আৰু লোকাচাৰসমূহ অনিবাৰ্যভাৱেই আধুনিক প্ৰযুক্তিৰ নানা উপাদানৰ সংস্পৰ্শলৈ আহিবলগীয়া হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এনে সম্প্ৰসাৰণে পৰম্পৰাগত সংস্কৃতি বা লোক-সমলসমূহক ক্ৰমাগতভাৱে পশ্চাদপসৰণ কৰিবলৈ বাধ্য কৰিছে। লোকায়ত পৰ্যায়ৰ কিছুমান কলা-পৰম্পৰাই হয় মৃত্যুক আকোৱালি লৈছে নহ'লেবা আসন্ন মৃত্যুৰ ক্ষণ গণিবলগীয়া হৈছে। ৰেডিঅ', টেলিভিশ্বন, কেব্‌ল্ টি.ভি., টে'প, কেছেট, ছি.ডি. আদি আধুনিক জীৱনযাত্ৰাৰ একপ্ৰকাৰে এৰাব নোৱাৰা উপকৰণবোৰে লোকসমাজৰ বাচিক আৰু পৰিবেশ্য-কলাসমূহৰ স্বৰূপ-চৰিত্ৰ চিনিব নোৱাৰাকৈ সলনি কৰি পেলাইছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দান হিচাপে মানৱ সমাজে লাভ কৰা উপাদানসমূহে সীমিত দুই-এটা ক্ষেত্ৰত পৰম্পৰাগত সংস্কৃতিৰ উপকাৰ সাধিলেও সামগ্ৰিকভাৱে এইসমূহৰ প্ৰভাৱ নেতিবাচক।

পৰম্পৰা শব্দটোৰ আভিধানিক অৰ্থ হ'ল পুৰুষাণুক্ৰমে অবিচ্ছেদ্যভাৱে চলি

অহা।[১] অৰ্থাৎ যিবোৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, গীত-মাত আদি বংশানুক্ৰমে ধাৰাবাহিকভাৱে চলি আহি আহি এটা ধাৰা অথবা প্ৰবাহত পৰিণত হয় - সিয়েই পৰম্পৰা। ইয়াৰ ভিতৰত ধৰ্ম আৰু ধৰ্ম বিশ্বাসৰহিত উৎসৱ পাৰ্বণসমূহ, জন্ম আৰু মৃত্যুৰ লগত জড়িত বিশ্বাস আৰু সেই বিশ্বাস আধাৰিত লোকাচাৰসমূহ, বিবাহ আৰু তৎ-সংক্ৰান্তীয় আচাৰ-অনুষ্ঠান, লৌকিক গীত-মাত, যোজনা-পটন্তৰ আদিৰ লগতে সামগ্ৰিকভাৱে মানুহৰ জীৱন আৰু জীৱিকাৰ লগত জড়িত আটাইবোৰ কৃত্যকেই সামৰি লোৱা যায়।

চুতীয়াসকলৰ ধৰ্ম বিশ্বাস আৰু জীৱন প্ৰণালী সম্পৰ্কে বুৰঞ্জীবিদ ড° ডম্বৰুধৰ নাথে মন্তব্য কৰিছে - চুতীয়াসকল বোধহয় অসমৰ অতি প্ৰাচীনকালতে সংস্কৃত হোৱা জনজাতি। তেওঁলোকে হিন্দুধৰ্ম গ্ৰহণ কৰিয়েই এই সংস্কৃত অৱস্থান লাভ কৰিছিল।'[২] অৱশ্যে অতি প্ৰাচীন কালতে হিন্দু ধৰ্ম গ্ৰহণ কৰি হিন্দু সমাজৰ ভিতৰুৱা হৈ পৰিলেও চুতীয়াসকলে তেওঁলোকৰ কিছুমান লোকবিশ্বাস আৰু আদিম ৰীতি-নীতি সাম্প্ৰতিক কাল পৰ্যন্ত বৰ্তাই ৰাখিছে। চুতীয়ালোক অধ্যুষিত ভিতৰুৱা অঞ্চলত কিছুমান আচাৰ-অনুষ্ঠান পৰম্পৰাগতভাৱে আজিও প্ৰচলিত হৈ আছে।

বুৰঞ্জীবিদ ড° স্বৰ্ণলতা বৰুৱাই চুতীয়াসকলৰ আদিম ধৰ্ম বিশ্বাস সম্পৰ্কে মতামত প্ৰকাশ কৰি লিখিছে - "চুতীয়াসকলৰ ধৰ্মীয় বিশ্বাসমতে তেওঁলোকৰ আদি পুৰুষ বা পিতৃ হ'ল কুণ্ডি আৰু আদি মাতৃ হ'ল মামা। আন কথাত কুণ্ডি হ'ল পুৰুষ আৰু মামা হ'ল প্ৰকৃতি। কুণ্ডি আৰু মামাৰ বৰপুত্ৰ হ'ল পিচাডেমা আৰু বৰজীয়ৰী হ'ল পিচাছিডেমা বা কেঁচাইখাঁতী। কেঁচাইখাঁতী গোঁসানীক তেওঁলোকে নৰবলিৰে পূজা কৰিছিল। কেঁচাইখাঁতী মন্দিৰৰ চালখন তামৰ আছিল বাবে গোঁসানীগৰাকীক তাম্ৰেশ্বৰী মাই বোলা হৈছিল। আনহাতে ৰাজপৰিয়ালৰ উপাস্য দেৱতা আছিল ধনৰ দেৱতা কুবেৰ। সোণাগিৰি পাহাৰত চুতীয়া ৰজাই কুবেৰৰ মন্দিৰ সজাইছিল আৰু ৰজা-প্ৰজা সকলোৱে এইজন দেৱতাক পূজা অৰ্চনা কৰিছিল।[৩]

এইক্ষেত্ৰত উল্লেখযোগ্য বিষয়টো হ'ল হিন্দু চুতীয়া অথবা ব্ৰাহ্মণসকলে পূজা বা বলি দিয়া কাৰ্যত প্ৰধান ভূমিকা লোৱা নাছিল। তাৰ পৰিবৰ্তে চুতীয়াসকলৰ নিজা

[১] (ক) পৰম্পৰা ঃ বি. (১) ধাৰা, অণুক্ৰম, (series) (২) বংশানুক্ৰমে চলি অহা ৰীতি-নীতি, বিশ্বাস আদি (Tradition)। বিন. - গত - ধাৰাবাহিক, বংশানুক্ৰমে চলি অহা (Successive, Traditional); **আধুনিক অসমীয়া শব্দকোষ**, সঙ্কলন সুমন্ত চলিহা, বাণীমন্দিৰ, ১৯৯৯, পৃঃ ৫১২
(খ) **পৰস্পৰ** ঃ ক্ৰি. বিন. ক্ৰমান্বয়ে, পুৰুষাণুক্ৰমে, successively, from generation to generation বি. পৰম্পৰা - অবিচ্ছেদ ধাৰা, অনুক্ৰম, uninterupted series. পৰম্পৰা, ক্ৰি. বিন., এটাৰ পিছত এটা আহি, ক্ৰমান্বয়ে। **Successively.; চন্দ্ৰকান্ত অভিধান**, মুখ্য সম্পাদক মহেশ্বৰ নেওগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৮, পৃঃ ৫৭৮

[২] ডম্বৰুধৰ নাথ, 'পৰিবৰ্তন আৰু ৰূপান্তৰ প্ৰক্ৰিয়াত চুতীয়াসকল ঃ কিছু চিন্তা', কাকডোঙা, স্মৃতিগ্ৰন্থ, সম্পাদনা মাণিক শইকীয়া, সদৌ চুতীয়া জাতি সন্মিলন, অসম, ঊণবিংশতিতম্ অধিবেশন, বৰহোলা ২০০৫।

[৩] স্বৰ্ণলতা বৰুৱা, 'চুতীয়াসকলৰ সাংস্কৃতিৰ জীৱনত এভুমুকি', **কুণ্ডিল**, সম্পাদনা অনিল কুমাৰ বৰা, মুখপত্ৰ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, পঞ্চম সংখ্যা, ২০০৫, পৃঃ ২০।



পুৰোহিত শ্ৰেণীটোৱে অৰ্থাৎ দেউৰীসকলেহে পূজা সম্পাদন কৰিছিল। ভূমিদান আদিৰ যোগেদি নিজকে ব্ৰাহ্মণ্য সংস্কৃতিৰ ভিতৰুৱা কৰাসকলৰ ধৰ্মীয় আৰু সংস্কাৰমূলক অনুষ্ঠানবোৰ ব্ৰাহ্মণ পুৰোহিতেই কৰিছিল বুলি অনুমান কৰিব পাৰি। চুতীয়া ৰাজ্য আহোম শাসনাধীন হোৱাৰ পিছত কিছু বছৰলৈকে আহোম ৰাজন্যবৰ্গৰ পৃষ্ঠপোষকতাতো নৰবলি প্ৰথা চলি আছিল। পিছত কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ ৰাজত্বকালত, পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে এই প্ৰথা বন্ধ কৰি দিয়ে।[৪]

চুতীয়া ৰাজ্য পতনৰ পিছত এনেবোৰ ধৰ্মীয় বিশ্বাস আৰু ক্ৰিয়াকলাপ অপৰিবৰ্তিত ৰূপত বৰ্তি থকাতো স্বাভাৱিকতেই সম্ভৱ নহ'ল। সদিয়া অঞ্চলৰ পৰা উঠি যোৱা লোকসকলে বিভিন্ন ঠাইত বুঢ়া-বুঢ়ী থান, কেঁচাইখাঁতী মন্দিৰ আদি পাতি সুবিধা অনুসৰি ম'হ আদি বলি দি পূজা-সেৱা চলাই থাকিল। সদিয়াৰ বুঢ়া-বুঢ়ী থানত আজিও বছৰেকৰ মূৰত ম'হ বলি দিয়া হয়। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত হাৰ্হি দেৱালয়, বাসুদেৱ থান, গৰখীয়া দ'ল (দক্ষিণ পাৰতো আছে), নীল দেৱালয় আদিত পূৰ্বৰ চুতীয়াসকলৰ ধৰ্মীয় কৃত্যসমূহ আৰু নৱবৈষ্ণৱ আন্দোলনৰ ধৰ্মীয় আচাৰ অনুষ্ঠানসমূহে এক সমন্বিত ৰূপ লাভ কৰি আজিও বৰ্তি আছে। দুৰ্গা পূজা বা কছাৰীসকলৰ গোঁসানী পূজাতো পূৰ্ব-পৰম্পৰা অনুক্ৰমেই দুই-এজন চুতীয়া লোকে ছাগলী, কোমোৰা আদি বলি হিচাপে আগবঢ়োৱাৰ উদাহৰণ আছে। এইসমূহ ধৰ্মীয় কৃত্য, চুতীয়া লোকসকলে পূৰ্বৰ পৰম্পৰা পৰিবৰ্তিত ৰূপত হ'লেও বৰ্তাই ৰখাৰ বিশিষ্ট উদাহৰণ। একেসময়তে, অসমৰ ধৰ্মীয় ক্ষেত্ৰখনত 'অনৈক্যৰ মাজত ঐক্য' ৰক্ষিত হোৱাৰো চানেকি।

অসমৰ ভিন্ ভিন্ অঞ্চলত সিঁচৰতি হৈ পৰা চুতীয়া লোকসকল সময় বাগৰি যোৱাৰ লগে লগে পূৰ্বৰ ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহৰ পৰিৱৰ্তে শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত সত্ৰানুষ্ঠানসমূহৰ সংস্পৰ্শলৈ আহি একশৰণীয়া নৱবৈষ্ণৱ ধৰ্মৰ ভিতৰুৱা হৈ পৰিল। তেওঁলোকে ঘাইকৈ এলেঙ্গি, দিহিং, আউনিআটি, বেঙেনাআটি, খাটপাৰ, বগীবিল, আঁহতগুৰি, টকৌবাৰী, মায়ামৰা, থেকেৰাপৰীয়া, কাটনিপাৰ, কৰ্দেগুৰি, নঙলামৰা, মাহাৰা, গজলা, দিনজয়, সাউদকুচি আদি সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিলে। লক্ষণীয় যে, উল্লেখিত সত্ৰসমূহ একেটা সংহতিৰে অন্তৰ্ভূক্ত নহয়। অনুমান কৰিব পাৰি, নতুনকৈ বসতি স্থাপন কৰা সুবিধাজনক অৱস্থানত থকা সত্ৰসমূহৰ ওচৰতে চুতীয়া লোকসকলে শৰণ ল'বলৈ পৰিস্থিতিগত কাৰণতে বাধ্য হৈছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰা অসমৰ একশৰণীয়া নৱবৈষ্ণৱ ধৰ্মত নৰবলি-বিধানৰ পোষকতা কৰা হোৱা নাছিল। গুৰু দুজনাৰ আৰ্হিৰে প্ৰতিষ্ঠিত সত্ৰসমূহেও এনে আদৰ্শ মানি চলিছিল। আনহাতে চুতীয়াসকল আছিল কেঁচাইখাঁতী বা তাম্ৰেশ্বৰীৰ উপাসক, কেঁচাইখাঁতীৰ আগত নৰবলি পৰ্যন্ত আগবঢ়াইছিল।

[৪] ঐ

সেয়েহে, নৱবৈষ্ণৱ ধৰ্মৰ ভিতৰুৱা হোৱাৰ লগে লগে তেওঁলোকে পূৰ্বৰ বহুবোৰ আচাৰ-ৰীতি এৰি পেলাবলগীয়া হৈছিল। কাল সংহতিৰ সত্ৰসমূহে এইক্ষেত্ৰত কিছু উদাৰতা প্ৰদৰ্শন কৰিছিল যদিও পূৰ্বৰ লোক-পৰম্পৰাসমূহ অটুট ৰাখিবৰ বাবে সেয়া যথেষ্ট বুলিব নোৱাৰি।

এইখিনিতে উল্লেখযোগ্য যে, শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰৱৰ্তী কালত, ঘাইকৈ দামোদৰদেৱৰ জৰিয়তে প্ৰতিষ্ঠিত হোৱা অসমৰ সত্ৰসমূহে কালক্ৰমত এক জাতি বৰ্ণবাদী চৰিত্ৰ লাভ কৰিছিল। এই প্ৰসঙ্গত ড° হীৰেণ গোহাঁয়ে লিখিছে - "অসমৰ সত্ৰ সংস্কৃতিয়ে ব্ৰাহ্মণ্য সংস্কৃতিৰ জাতিভেদ আৰু নানা শুচিতাৰ সংস্কাৰ লোপ কৰিব নোৱাৰিলে। বৰং বৃটিছ অহাৰ পিছত প্ৰকাশিত ১৮৮১ আৰু ১৮৯১ চনৰ Census Report-ৰ মতে গাঁৱৰ সমাজত জাতিভেদৰ ঘাই ধৰণী হৈ পৰিল সত্ৰসমূহেই।[৫] আনহাতে ৰাজ অনুগ্ৰহৰ জৰিয়তে অপৰ্যাপ্ত পৰিমাণৰ ভূ-সম্পত্তিৰ অধিকাৰী হৈ সত্ৰসমূহ একোটা সামন্তবাদী অনুষ্ঠানতো পৰিণত হৈ পৰিল। ড° অমলেন্দু গুহই তেখেতৰ গৱেষণা গ্ৰন্থৰ এঠাইত লিখিছে - "The family of Parbatia Goswami possessed as much as 41 thousand acres of land, spread over 31 moujas. It was estimated in 1883, that the Porbatia Goswami and the Madha Devalaya, between them accounted for no less than a thousand tenant ryots. Such ryots did not enjoy occupancy rights anywhere in the Brahmaputra valley"।[৬] আন আন সত্ৰসমূহৰ ভিতৰত আউনিআটি সত্ৰৰ ৬৪,৮০০ বিঘা, গড়মূৰৰ ১,২০,০০০ বিঘা, দক্ষিণপাটৰ ৩৬,৪০০ বিঘা, কমলাবাৰীৰ ২০,০০০ বিঘা মাটি আছিল। শিচ-ভকতৰ মাটিৰ অধিকাৰ স্বীকাৰ নকৰাকৈ অথচ তেওঁলোকৰ পৰা নিয়মিত কৰ-পচা তুলি খাই, তেওঁলোকৰ বাবে আলি-পদুলি, খোৱা পানী, বিদ্যা শিক্ষাকে ধৰি উন্নয়নৰ কোনো দায়িত্ব লেশমানো স্বীকাৰ নকৰি বিশেষকৈ ডাঙৰ সত্ৰবোৰ শ্ৰেণী শোষণৰো কেন্দ্ৰ হৈ পৰিছিল।[৭] ইয়াৰ উপৰিও মনুস্মৃতিৰ প্ৰচুৰ উদ্ধৃতিৰে একাংশ সত্ৰই আহোম তথা আন আন সম্প্ৰদায়ৰ বিৰুদ্ধে অস্পৃশ্যতা আচৰণৰ বিধান দি **ৰিপুঞ্জয় স্মৃতি, সৰ্বজ্ঞানমঞ্জুৰী**ৰ দ'ৰে কিতাপ প্ৰকাশ কৰিছিল। নিম্নবৰ্গৰ লগত খোৱা-বোৱা কৰিলে বিহা হৈছিল কঠোৰ শাস্তি, কাকো দিয়া হৈছিল চমতাৰ কোব, কাকো বেলিমুখীয়াকৈ বান্ধি থোৱা হৈছিল

---

৫ হীৰেন গোহাঁই, **অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা**, প্ৰথম খণ্ড, পৃঃ ১

৬ Amolendu Guha, **Planter Raj To Swaraj Freedom Struggle And Electoral Politics In Assam (1826 - 1947)**, p. 49.

৭ Debrota Sharma, **Non State Literary And Cultral Organizations In The Construction Of Assamese Identy And Ethos 1873 - 1960**, unpublished Ph. D. thesis.



জহকালিৰ ওৰেটো দিন, কাকো জুই-পানী নিষেধ কৰা হৈছিল ওৰেটো জীৱনলৈ। সকলোকে ব্ৰাহ্মণ্য আচাৰৰ নামত লাওলোৱা কৰা হৈছিল।[৮]

এনে কিছু পৰিবেশ পৰিস্থিতিৰ তাগিদাতেই ৰমাকান্ত মুক্তিয়াৰ গোপীকাবল্লভ গোস্বামী, হলধৰ ভূঞা, গহনচন্দ্ৰ গোস্বামী, ৰামেশ্বৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, পীতাম্বৰদেৱ গোস্বামী, ইলাৰাম দাস, বিৰিঞ্চি কুমাৰ বাৰুৱতী আদি বিশিষ্ট ব্যক্তিৰ উদ্যোগত ১৯৩০ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, অসম প্ৰতিস্থিত হয়। মনকৰিবলগীয়া যে - "শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আন্দোলনে এক আধ্যাত্মিক আহ্বান জনালেও ইয়াৰ গণভিত্তি আছে মূলতঃ অসমৰ দলিত-নিপীড়িত-শূদ্ৰ সমাজৰ মাজত। আহোম-কোচ-চুতীয়া-নাথ-যোগী আদি অ.বি.চি. এম.অ.বি.চি. সম্প্ৰদায়বিলাকেই ইয়াৰ প্ৰধান আধাৰ। নেতৃত্বত ভালেসংখ্যক বৰ্ণহিন্দু থাকিলেও তেওঁলোকৰ সদস্যপদ সামানুপাতিক নহয়। আহোম সম্প্ৰদায়ৰ পৰা অহা শশীচন্দ্ৰ বৰবৰুৱা আৰু বিৰিঞ্চি কুমাৰ বাৰুৱতী, কোচ-ৰাজবংশীসকলৰ মাজত লক্ষেশ্বৰ শইকীয়া, হলধৰ ভূঞা, চুতীয়া সম্প্ৰদায়ৰ সোণাৰাম চুতীয়া আৰু মুখ্যেশ্বৰ শইকীয়াই সংঘৰ শীৰ্ষতম পদ 'পদাধিকাৰ' হয়। কৈবৰ্ত সম্প্ৰদায়ৰ ইলাৰাম দাস, আৰু সুত সম্প্ৰদায়ৰ সনৎৰাম ৰৰা আকৌ কিবা কাৰণত আঁতৰি যায়। চুতীয়া সম্প্ৰদায়ৰ সোণাৰাম চুতীয়া ৪৪ বছৰ বয়সত ১৯৫৯ চনত প্ৰথম বাৰৰ বাবে পদাধিকাৰ হোৱাৰ পিছত পুনৰ ১৯৬৫, ১৯৬৬, ১৯৬৭, ১৯৬৮, ১৯৬৯, ১৯৭০, ১৯৭৭ আৰু ১৯৭৮ চনত মুঠ নটা কাৰ্যকালৰ বাবে সংঘৰ সৰ্বোচ্চ বিষয়বাবত অধিস্থিত হয়।"[৯] উল্লেখযোগ্য যে এইজন সোণাৰাম চুতীয়াই শৈশৱ আৰু কৈশোৰত জাত-পাত বিচাৰৰ বলি হৈ শিক্ষাগ্ৰহণ কৰাৰ ক্ষেত্ৰতো অসুবিধাৰ সন্মুখীন হৈছিল। অনুমান কৰা যায়, শ্ৰীমন্ত শঙ্কৰদেৱৰ আধ্যাত্মিক ভাৱাদৰ্শৰ উপৰিও এনেবোৰ ঘটনাটো তেখেতক সংঘৰ ফালে আকৰ্ষিত কৰিছিল।

সাম্প্ৰতিক কালত বহু সংখ্যক চুতীয়ালোকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, অসমৰ অনুগামী হৈ সংঘৰ ৰীতি-নীতি অনুসৰি কাম-কাজসমূহ সম্পন্ন কৰিবলৈ ধৰিছে। ধৰ্মীয় ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত সংঘৰ সংবিধান আৰু নিয়ামাৱলী কঠোৰভাৱে অনুসৰণ কৰা বাবে এইসকল লোকৰ মাজত পৰম্পৰাগত লোকাচাৰসমূহৰ প্ৰভাৱ একেবাৰে কম দেখা যায়। এইসকলৰ উপৰিও, নিতান্ত নগণ্য সংখ্যক চুতীয়ালোকে কৃষ্ণগুৰু সেৱাশ্ৰম বা ঠাকুৰ অনুকুলচন্দ্ৰ প্ৰতিষ্ঠাপিত ধৰ্মৰ ভিতৰুৱা হৈছে।

**ধৰ্মীয় আচাৰ-অনুষ্ঠান ঃ**

চুতীয়াসকলৰ মাজত প্ৰচলিত বিভিন্ন ধৰ্মীয় আচাৰ অনুষ্ঠানসমূহ হৈছে - দেউকুবেৰ উৎসৱ, সত্যনাৰায়ণ পূজা, ডাঙৰীয়া সকাম, পানীতোলা সবাহ বা বৰসবাহ,

---

৮ দেৱব্ৰত শৰ্মা, **তিমিৰ ফাৰিয়া বাজ**; সম্পাদক বেণু গগৈ, গৌতম কলিতা; পৃঃ ৮৩।

৯ দেৱব্ৰত শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৬।

আই সবাহ, সদাশিৱক দিয়া, অপেস্বৰী সবাহ ইতাদি। চুতীয়াসকলে আজিও এইবোৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰি আহিছে। বৰ্তমান দেউ-কুবেৰ উৎসৱ আৰু সত্যনাৰায়ণ পূজা সকলো চুতীয়া লোকেই পালন কৰা দেখা নাযায়। চুতীয়া ৰাজবংশৰ সাধক নাৰায়ণৰ বংশধৰ বুলি জানিব পৰা দৰং জিলাৰ অন্তৰ্গত গেৰুৱা অঞ্চলৰ মহলীয়াপাৰা গাঁৱৰ সোমবৰ বৰুৱাৰ পৰিয়ালৰ বংশধৰসকলেহে সত্যনাৰায়ণ পূজা পালন কৰি আহিছে। ঠিক সেইদৰে কুবেৰ পূজাও দৰং জিলাৰ দল গাঁও আৰু গেৰুৱা অঞ্চলৰ চুতীয়াসকলেহে নিয়মীয়াকৈ অনুষ্ঠিত কৰা দেখা যায়। আনহাতে, ডাঙৰীয়া পূজা বা সকাম চুতীয়াসকলৰ মাজত আজিও বহুল ভাবে প্ৰচলিত। চুতীয়াসকলৰ মাজত ভিতৰপকীয়া বা ৰাতি-খোৱা বা বৰসেৱা নামৰ এটা সকামো পূৰ্বৰে পৰাই প্ৰচলন হৈ আহিছে। এই সকাম পৰিবেশ আৰু পৰিস্থিতি সাপেক্ষে পূৰ্বৰ আচাৰ-নীতিৰ পৰা বহুতো সলনি হৈ বৰ্তমানেও পকা পন্থী চুতীয়াসকলৰ মাজত প্ৰচলন হৈ আছে।

কোনো কোনো অঞ্চলত এই সকামক থেকেৰা ফুলীয়া বুলিও কয়। থেকেৰা যেনেকৈ ৰাতিহে ফুলে, কোনোও দেখা নেপায়, তেনেকৈ এই সকামো অতি সঙ্গোপনে আৰু পবিত্ৰভাৱে মাজৰাতি অনুষ্ঠিত কৰা হয়। অঞ্চল বিশেষে এই সকামৰ পুৰুষ ভকতসকলক সদাচাৰ, মহিলা ভকতসকলক চাদানী আৰু সকামৰ মূল ব্যক্তিজনক সাধু বোলা হয়। মৰাণ ফটিকাছোৱা অঞ্চলত ৰাতি সকাম নামে এই অনুষ্ঠানৰ পৰম্পৰা এতিয়াও আছে। গোঁসাই ঘৰ (নৱবৈষ্ণৱ ধৰ্মৰ আওতাৰ ভিতৰলৈ আহি নিজৰৰ ঘৰৰ পূব দিশত থাপনা পাতি পুৱা-গধূলিৰ প্ৰাৰ্থনা আৰু প্ৰসঙ্গ আদি কৰা ঘৰ) নথকা মানুহৰ ঘৰৰ বাৰীত ৰাতি, কেৱল পুৰুষ মানুহে এই সকাম অনুষ্ঠিত কৰে। এই সকামত ছাগলী, হাঁহ পাৰ, কণী, কোমোৰা বলি দিয়া হয়। বলিসমূহৰ তেজ কেঁচা পিঠাৰ লগত জালুক আৰু নিমখ দি সানি তেলত ভাজি ঘিলা পিঠাৰ নিচিনাকৈ তৈয়াৰ কৰা হয়। লগতে আঠ আথি কলত প্ৰত্যেক আথিতে এহাতমান দীঘল শলিতা দক্ষিণমুৱাকৈ হাওলাই জ্বলোৱা হয়। পিছত এই কলখিনিও পিঠাৰ লগত সানি তেলত ভাজি পিঠা তৈয়াৰ কৰে। এই সকামৰ বাবে সমাজত একোজন বিশেষ ব্যক্তি নিৰ্বাচন কৰি থোৱা থাকে। সেই ব্যক্তিয়ে মন্ত্ৰ পাঠ কৰি পূজা আগবঢ়ায়। এই ৰাতি সকাম সাধাৰণতে ৰাজহুৱাভাৱে পতা হয়। কেতিয়াবা কোনো লোকে অপায়-অমঙ্গলৰ আশংকাত ব্যক্তিগতভাবেও পাতে।[১০]

ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ দৰে চুতীয়াসকলৰ মাজত কৃষিৰ লগত জড়িত বহুতো আচাৰ-অনুষ্ঠান প্ৰচলিত আছিল আৰু সেইবোৰৰ অধিকাংশই আজিও জীয়াই আছে। উদাহৰণ স্বৰূপে - নভূঁই, নখোৱা, জেঠোৱা সবাহ, লখিমী অনা, গৰখীয়া সবাহ আদি অনুষ্ঠানবোৰ আজিও কৃষিজীৱী গাঁৱলীয়া চুতীয়াসকলৰ মাজত জীৱন্ত হৈ আছে বুলি ক'ব পাৰি। অৱশ্যে, কিছুমানৰ পৰিৱৰ্তন ঘটিছে আৰু দুই-এটা লুপ্তও হৈছে।

[১০] সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ উপসভাপতি শ্ৰী কীৰ্তি চুতীয়াৰ পৰা পোৱা তথা মতে। সংগ্ৰাহক ঃ লেখক।



**বিহু আৰু কেইটামান বিশেষত্বপূৰ্ণ অনুষ্ঠান ঃ**

অন্যান্য আচাৰ-অনুষ্ঠানৰ দৰে বিহু উৎসৱেও চুতীয়াসকলৰ মাজত পৰিৱৰ্তনৰ কেইবাটাও স্তৰ পাৰ হ'বলগীয়া হৈছে। অতীজতে চুতীয়াসকলৰ মাজত ধৰ্ম বিশ্বাসৰ লগত বিহু নিবিড়ভাৱে জড়িত হৈ আছিল। তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাঙ্গনত বিহু মৰাৰ পিছতহে তেওঁলোকে নিজ নিজ গাঁৱলৈ বিহু নমাই আনিছিল। মন্দিৰৰ প্ৰাঙ্গনত হোৱা এই বিহু উৎসৱ উপভোগ কৰিবলৈ আবাল বৃদ্ধ সকলো লোক সমবেত হৈছিল। চুতীয়া ৰাজভগণৰ পিছত এই পৰম্পৰাৰ পৰিৱৰ্তন ঘটি তেওঁলোকে নিজ নিজ ঠাইত পাতি লোৱা থানত বিহু আৰম্ভ কৰি আহি গাঁৱত বিহু অনুষ্ঠিত কৰিছিল। তাৰ পৰৱৰ্তী কালত নামঘৰতে বিহু আৰম্ভ কৰি গাঁৱত ঘৰে ঘৰে হুচৰি গাইছিল। বৰ্তমান এই পৰম্পৰাহে প্ৰচলিত আছে। অতীজতে ব'হাগ মাহৰ প্ৰথম বুধবাৰৰ দিনা ব'হাগৰ বিহু আৰু মাঘ মাহৰ প্ৰথম বুধবাৰৰ দিনা মাঘ বিহু অনুষ্ঠিত কৰা হৈছিল। সম্ভৱত ভাগৱতী ধৰ্ম গ্ৰহণ কৰাৰ পিছত আৰু বৃহত্তৰ অসমীয়া সমাজৰ অংশীদাৰ হোৱাত তেওঁলোকে চ'ত-ব'হাগৰ সংক্ৰান্তিত ব'হাগ বিহু আৰু পুহ-মাঘৰ সংক্ৰান্তিত মাঘ বিহু পাতিবলৈ লয়। এই পৰম্পৰা এতিয়াও চলি আছে। কোনো কোনো চুতীয়া গাঁৱত কোনোবা নিৰ্জন ঠাইত গাঁৱৰ বচা-বচা পুৰুষ মহিলা সমবেত হৈ গোঁসানীৰ নামত প্ৰথম বিহু মাৰি গাঁৱত হুচৰি গোৱা আৰম্ভ কৰা বুলি শুনা যায়। চ'তৰ বিহুৰ এই বৰ্ণনা স্থানান্তৰত দিয়া হৈছে। বৰ্তমান সেই বিহুৰ চলন্তি নাই।

বিহুৰ লগত জড়িত চুতীয়াসকলৰ কেইবাটাও নাচ আছিল। সেই নাচবিলাকৰ যঁজা নাচ আৰু ধৰ্ম হুচৰি নাচ নামৰ দুটা নাচহে এতিয়াও চলি আছে। যঁজা নাচ চুতীয়াসকলৰ পৰম্পৰাগত নিজস্ব নাচ বুলি মাকুম বৰগাঁৱৰ চুতীয়াসকলে আজিও দাবী কৰে। যঁজা নাচৰ বাবে সমান উচ্চতাৰ আৰু সমান বয়সৰ দুজন যুৱকক এখন কাপোৰেৰে বা গামোচাৰে বান্ধি দিয়া হয়। ঢোলৰ চেওৰ লগে লগে বিভিন্ন ভঙ্গীত নাচি থকাটো অত্যন্ত জটিল আৰু কষ্টাসাধ্য হ'লেও তেওঁলোকে অতি পাৰদৰ্শিতাৰে এই নাচ প্ৰদৰ্শন কৰে।[১১]

ধৰ্ম হুচৰিৰ নাচো চুতীয়াসকলৰ নিজস্ব নাচ। এই নাচ মাকুম বৰগাঁৱৰ বাহিৰে অসমৰ আন কোনো অঞ্চলতে দেখিবলৈ পোৱা নাযায়। ধৰ্ম হুচৰি আঠ-দহ বছৰৰ মূৰতহে এবাৰ গোৱা হয়। ইয়াত অংশ লোৱাসকলে শুভ্ৰ পোচাক পিন্ধা বাধ্যতামূলক। কেৱল ডেকা অশৰণীয়া বিবাহিত বা অবিবাহিত লোকেহে এই নাচত অংশ ল'ব পাৰে। যি কেইজনে অংশ গ্ৰহণ কৰে তেওঁলোকে মহিলাই স্পৰ্শ কৰা কোনো বস্তু হুচৰি শেষ নোহোৱালৈকে খাব নোৱাৰে। বিবাহিতসকলে হুচৰি শেষ নোহোৱা পৰ্যন্ত সহবাস কৰিব নোৱাৰে। বিনা অনুমতিত হুচৰি গোৱা কোনোবাই হুচৰি খতি কৰিব নোৱাৰিব আৰু হুচৰি গাই থকা সময়ত কাৰো ঘৰত বহি শুই থাকিব নোৱাৰিব। হুচৰি গাওঁতে নামতি

[১১] মাকুম বৰগাঁৱৰ শ্ৰী মদন চুতীয়াৰ পৰা সংগ্ৰহ কৰা তথ্যমতে। তথ্য সংগ্ৰাহক ঃ জিতু খনিকৰ।

দহ-বাৰজনমান থাকে, তেওঁলোকে ঘূৰণীয়া হৈ নানা ভঙ্গিমাৰে নাচি থাকে। নাচ বিভিন্ন ন টা ভঙ্গিমাৰে নচা হয়। নামতিৰ শাৰীটোৰ চাৰিওফালে পাৰিষদসকলে অৰ্থাৎ ঢোল-তাল লোৱা আৰু গায়কসকলে নামতিসকলক নাচিবৰ বাবে সহযোগ কৰে। নবিধ ভঙ্গিমাৰ ভিতৰত প্ৰথমটো 'পদুমফুলীয়া' বুলি কয়। পদুমফুলীয়া নাচ ঘূৰণীয়া হৈ তিনিবাৰ নচা হয়। তাৰপাছত দুটা সমান্তৰাল শাৰীলৈ সলনি হৈ 'জিৰণী খোজ' মাৰে। তাৰ পিছত এখোজীয়া খোজ। সকলোৱে এফালে মুখ কৰি তিনিবাৰ ইফাল-সিফাল কৰি নাচে। নাচি পুনৰ জিৰণি জোখ লয়। তাৰ পিছতে সেই দুটা শাৰী চাৰিটালৈ পৰিণত হৈ পিঠিয়া পিঠিকৈ তিনিবাৰ খোজ ধৰে, ককাল ভাঙে আৰু জিৰণি খোজ লয়। ইয়াৰ পিছত এটা শাৰীয়ে আগলৈ হাউলি নাচিলে ইটো শাৰীয়ে বিপৰীত দিশলৈ ঘূৰি আগলৈ হাউলি তিনিবাৰ নাচে। তেনে কৰাৰ পিছত পুনৰ তিনিবাৰ জিৰণি নাচ নাচে। তাৰ পিছত সমান্তৰাল শাৰী দুটাৰ ইটোৰ পৰা সিটোলৈ মাজে মাজে এজন এজনকৈ পাৰ হৈ দুখোজ দুখোজ দি হাতেৰে ভঙ্গী দেখুৱায়। সমান্তৰাল শাৰী দুটাৰ বিহুৱাসকলে এখোজ আগলৈ আহি মুখা-মুখি হৈ এফালে হাউলি হাউলি নাচে। তাৰ পিছত এটা শাৰীৰ লোকে এটা ভৰি আনটো শাৰীৰ ফালে নিলে সেই শাৰীৰ লোকসকলেও একে ধৰণেৰে 'অহা-যোৱা খৰ খোজ নাচ' নাচে। তিনিবাৰ নচাৰ পিছত পুনৰ জিৰণি। তাৰ পিছত পুনৰ ঘূৰণীয়া হৈ আটায়ে এটা ভৰিৰে 'এঠেঙীয়া' বা 'লেঙেৰা' খোজ দিয়ে। পুনৰ ঘূৰণীয়া হৈ 'ঘনচিৰিকাৰ খোজ' নাচ দিয়ে। তাৰ পিছত 'হালি জালি খোজ' আৰু 'নাচনি খোজ' আৰু 'শেষ সামৰণি খোজ' দি নাচৰ সামৰণি মাৰে। উল্লেখযোগ্য যে, এই নাচসমূহ নাচি থাকোতে নামতিসকলে এবাৰ আৰু পাৰিষদসকলে এবাৰকৈ গীত গাই থাকে। বেলেগ বেলেগ মানুহৰ ঘৰত সাধাৰণতে একেটা গীতকে গোৱা নহয়।[১২]

চুতীয়া লোকসকলে ইয়াৰ উপৰিও তিনিবিধ তিথি, শৰণীয়া গোঁসাইৰ তিথি আদিও পৰম্পৰাগতভাৱে পালন কৰে। সাম্প্ৰতিক কালত ল'ৰা-ছোৱালীৰ জন্মদিন, বিবাহ দিন আদিও পাতিবলৈ লোৱা দেখা গৈছে। চুতীয়াসকলৰ ৰাজত্বকালৰ শেষ গৰাকী ৰাণী বীৰঙ্গনা সাধনীৰ আত্মত্যাগৰ দিনটো (৭ ব'হাগ) 'সাধনী দিৱস' হিচাপে ভিন্ ভিন্ কাৰ্যসূচীৰে পালন কৰা হয়।

**জন্ম-মৃত্যু সম্বন্ধীয় আচাৰ-অনুষ্ঠান ঃ**

চুতীয়াসকলৰ মাজত জন্ম-মৃত্যু সম্পৰ্কীয় আচাৰ-অনুষ্ঠানবোৰৰ কিছুমান লোপ পাইছে আৰু কিছুমানৰ অৱশিষ্টহে পৰিৱৰ্তিত ৰূপত জীয়াই আছে। উদাহৰণ স্বৰূপে - প্ৰসূতিৰ গৰ্ভাৱস্থাৰ পাঁচ মাহত পঞ্চামৃত আৰু ন মাহত প্ৰসূতি পিঠাগুৰি খোওৱা লোকাচাৰৰ চলন্তি আজিকালি নাই বুলিয়েই ক'ব পাৰি। সন্তান জন্মৰ দিনাৰ পৰা ঘৰৰ

---

১২ ঐ



দুৱাৰ মুখত বগৰী জেং বা ফটা জাল আদি ওলোমাই ৰখাৰ নিয়ম আজিকালি হাস্যকৰ বুলি গণ্য কৰা হয়। সন্তানৰ বাজ ওলোৱা অনুষ্ঠানটোত কেঁচুৱাৰ হাতত ধেনু-কাঁড়, কপাহ, মাকো দিয়া, মাকে সন্তান কোলাত লৈ সূৰ্যলৈ চাই সেৱা কৰা আৰু গোপিনীসকলে সমজুৱাভাৱে সন্তানৰ নামকৰণ কৰা এই তিনিওটা প্ৰসঙ্গৰে ঐতিহাসিক আৰু সামাজিক-সাংস্কৃতিক গুৰুত্ব আছে। পুত্ৰ সন্তানৰ হাতত ধেনু-কাঁড় দিয়া প্ৰথাটো পূৰ্বৰ ধেনু-কাঁড় চলোৱাত নিপুন চুতীয়াসকলৰ ঐতিহ্যৰে পৰা অহাটো সম্ভৱ। আনহাতে কন্যা সন্তানৰ হাতত কপাহ আৰু মাকো দিয়াটো চুতীয়া নাৰীৰ বোৱা-কটাৰ নৈপুন্যৰ ঐতিহ্যৰ পৰিচায়ক। সূৰ্যলৈ চাই সেৱা কৰাটো নৱ-বৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ আগৰ পৰা এই অনুষ্ঠান চলি থকাৰ ইঙ্গিত দিয়ে। সমবেত মহিলাসকলে সমজুৱাভাৱে নামকৰণ কৰাৰ কথাটোৱে এখন পৰম্পৰাগত চুতীয়া সমাজৰ ছবি দাঙি ধৰে, যিখন সমাজত ব্ৰাহ্মণ বা দৈৱজ্ঞসকলৰ প্ৰভাৱ নাছিল।

এনেধৰণৰ লোকাচাৰৰ অঞ্চলভেদে অমিল থাকিব পাৰে। আনহাতে আজিকালি প্ৰায়বোৰ কেঁচুৱাই চিকিৎসালয়ত জন্ম হোৱাৰ বাবে বা আধুনিক শিক্ষা-সংস্কৃতিৰ প্ৰভাৱত এনেধৰণৰ অনুষ্ঠানবোৰ নিয়ম-মাফিক কাৰ্যক্ৰমনিকালৈ পৰ্যবেসিত হৈছে।

চুতীয়া সমাজত মানুহৰ মৃত্যু হ'লে মৃতকৰ শ্ৰাদ্ধ বা সকাম পতা হয়। এই সকাম অনুষ্ঠিত কৰাৰ নীতি-নিয়ম বৰ্তমান খেল আৰু স্থান বিশেষে বেলেগ বেলেগ। বিভিন্ন সত্ৰৰ অনুগামীসকলে মৃতকৰ ক্ষেত্ৰত তিনি দিনত তিলানি, দহ দিনত দহা আৰু এমাহ সম্পূৰ্ণ হ'লে আদ্যশ্ৰাদ্ধ পাতে। অৱশ্যে বৰ্তমান এঘাৰ দিনত বা তেৰ দিনত শ্ৰাদ্ধ পাতিবলৈ ধৰিছে। অৰ্থাৎ এই ক্ষেত্ৰত চুতীয়াসকলৰ বৃহত্তৰ অসমীয়া সমাজখনৰ লগত বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয়।

## বিবাহ সম্পৰ্কীয় আচাৰ-অনুষ্ঠান ঃ

বিবাহৰ ক্ষেত্ৰতো আজিকালি অন্যান্য লোকৰ দৰে চুতীয়াসকলেও পৰাপক্ষত দুদিন আৰু কেতিয়াবা আনকি এদিনতে বিবাহৰ সকলো কাম সম্পাদন কৰিবলৈ লৈছে। নগৰ-চহৰত বিবাহ বাহৰত বিবাহ অনুষ্ঠিত হোৱাৰ পৰা বিবাহ সম্পৰ্কীয় লোকাচাৰ সমূহৰ সৰহভাগেই লুপ্ত পাবলৈ ধৰিছে। বিবাহ অনুষ্ঠানত কন্যাৰ লগতে সখিক আজিকালি ভিতৰুৱা চুতীয়া গাঁৱৰ বাহিৰে আনত দেখা নাযায়। চুতীয়াসকলৰ বিবাহৰ অপৰিহাৰ্য অঙ্গ কুলা-বুঢ়ী নাচ আজিকালি বিবাহবোৰত কাচিৎহে দেখা যায়। বিয়াত পানী তোলা নিয়মটো চহৰ অঞ্চলত উঠি যোৱাৰ দৰেই হৈছে। নোৱাই-তোলনি বিয়া নগৰীয়া লোকে অপ্ৰয়োজনীয় বুলি ভাবিবলৈ লৈছে আৰু এই অনুষ্ঠান পালন কৰিবলৈ এৰি দিছে।

**কুলাবুঢ়ী নাচ ঃ** চুতীয়া জাতিৰ বুৰঞ্জী সম্পাদনা সমিতিৰ তৰফৰ পৰা অসমৰ বহু কেইখন চুতীয়া গাঁৱৰ পৰা সংগ্ৰহ কৰা সাংস্কৃতিক দিশৰ তথ্য পাতিৰ যাদৃচ্ছিক নমুনাৰ পৰা সিদ্ধান্ত কৰিব পৰা যায় যে, অসমীয়া মানুহৰ বৰবিয়াত গাঁঠিয়নৰ দিনা প্ৰদৰ্শন কৰা

কুলাবুঢ়ী নাচ, চুতীয়া লোক-পৰম্পৰাৰ উল্লেখযোগ্য নিদৰ্শন। বিয়াৰ বাবে পবিত্ৰভাবে নোৰাই-ধুৰাই সুন্দৰকৈ সজাই পৰাই তোলা দৰা-কন্যাৰ যাতে কাৰোৰে মুখ নেলাগে বা অমঙ্গল নহয়, আৰু তেওঁলোকৰ আগন্তুক জীৱন মঙ্গলময় হোৱাৰ বাবে হৰ-পাৰ্বতী ছদ্মবেশেৰে আহি আশীৰ্বাদ প্ৰদান কৰা ঃ এই দুয়োটা বিশ্বাস কুলাবুঢ়ী নাচৰ লগত জড়িত হৈ আছে। কুলাবুঢ়ী নাচত বিচিত্ৰ ভঙ্গী আৰু ধেমেলীয়া কথাৰে মানুহক হাঁহুৱাব পৰা এগৰাকী লোকে মুখত আপচু ধৰণৰ ৰং-বৰণ সানি, জধলা আৰু ফটাচিটা সাজপাৰেৰে, এখন কুলাত আগলি কলপাতত তামোল-পাণ, কটাৰি, চূণ-চাদা, খোলাকটি আদি লৈ এখন হাতেৰে মূৰৰ ওপৰত লয় আৰু আনখন হাতত এপাত যাঠি লৈ ঢোলৰ চেৱে চেৱে প্ৰৱেশ কৰে। কুলাবুঢ়ীয়ে চকু পোন্দোৰা কৰি মুখ ভেঙুচাই ৰাইজৰ চকুলৈ সোঁৱে-বাঁৱে চায়। যাঠি ডালেৰে যাকে তাকে খোচাৰ নিচিনা কৰে। তাৰ পিছত ঢোলৰ চেৱে চেৱে[১৩] নাচ আৰম্ভ কৰে। ঢোলৰ চাপৰ খৰ হোৱাৰ লগে লগে নাচো খৰ হয় আৰু শেষত যাঠিডাল মাটিত খোচ মাৰি থৈ, মাটিতে বহি পৰে। নৃত্যৰ অন্তত কইনাৰ ওচৰত বহি থকাসকলে কুলাবুঢ়ীক বিভিন্ন ধৰণৰ প্ৰশ্ন সোধে। প্ৰশ্ন আৰু উত্তৰসমূহ সাধাৰণতে তলত দিয়া ধৰণৰ হয় -

প্ৰঃ - ক'ৰ পৰা আহিছ?  
উঃ - ঢেৰঢেৰীয়া পৰ্বতৰ পৰা।  
প্ৰঃ - কি শুনি আহিছ?  
উঃ - বিয়াৰ কথা শুনি আহিছোঁ।  
প্ৰঃ - কি খাবলৈ আহিছ?  
উঃ - হাঁহৰ মঙহ।  
প্ৰঃ - ল'ৰা-ছোৱালী কেইটা?  
উঃ - লেৰেলা-চেপেটা এটা।  
প্ৰঃ - ল'ৰাৰ নাম কি?  
উঃ - গলেপতা মুকুতা।  
প্ৰঃ - কিমান খায়?  
উঃ - এনাও।  
... ... ... ইত্যাদি।

উল্লেখযোগ্য যে, প্ৰশ্ন আৰু উত্তৰসমূহৰ কিছু পৰিমানে সাদৃশ্য থাকিলেও একেবাৰে একেধৰণৰ নহয়। মুঠতে যি প্ৰশ্নই নহওক লাগিলে কুলাবুঢ়ীয়ে প্ৰতুৎপন্নমতিতাৰে হাঁহি উঠা ধৰণে উত্তৰ দিয়ে।

---

[১৩] কুলাবুঢ়ী নাচৰ চেও - 'দাও দাওঁ ...... ১২ বাৰ/ঘেনি ঘেনি ঘেন দাওঁ ...... ৩ বাৰ/তিঘেনেকি ঘেন দাওঁ ...... ৩ বাৰ/তিঘেন দাওঁ ...... ৩ বাৰ/দাওঁ দাওঁ/বিকিফ্লাং ...... ৩ বাৰ/তিঘেনেকি ঘেন দাওঁ ঘেন।'



শেষৰ ফালে এটা ঘিন লগা বা ৰাইজে বেয়া পোৱা ধৰণৰ উত্তৰ দিব। তেতিয়া সমজুৱাৰ কোনোবাই তাইক মাৰিবলৈ খেদা দিওঁতেই মাৰিলে ঐ খালে ঐ কৈ কুলাবুঢ়ী ওলাই লৰ মাৰে।

## সমাজ ব্যৱস্থা ঃ

চুতীয়াসকলৰ অতীতৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান উচ্চ আছিল। তেওঁলোকৰ মাজত মাতৃ পূজাৰ প্ৰাধান্য আছিল। কেঁচাইখাঁতী তাম্ৰেশ্বৰী বা দেৱী দিক্কৰবাসিনী, হাৰ্হি দেৱী, নীল গোঁসানী আদি দেৱীৰ পূজাৰ উপৰিও আই সকাম, অপেশ্বৰী সকাম আদিৰ প্ৰাধান্য চুতীয়া সমাজত বেছি। ইয়াৰ বিপৰীতে দেৱতা পূজাৰ প্ৰচলন চুতীয়া সমাজত সীমিত বুলি ক'ব পাৰি। পৌৰাণিক আৰু ঐতিহাসিক প্ৰেক্ষাপতেও চুতীয়া সমাজত নাৰীৰ প্ৰাধান্যৰ ইঙ্গিত বহন কৰে। চুতীয়াসকলৰ দ্বাৰা নিৰ্মিত বুলি ঠাৱৰ কৰা মালিনী থানৰ মন্দিৰ এগৰাকী নাৰীৰ নামেৰে পৰিচিত হৈ থাকিল য'ত অসংখ্য দেৱী মূৰ্তিৰ ভগ্নাৱশেষ সিঁচৰিত হৈ আছে। এই দৰে চুতীয়াসকলৰে এগৰাকী কুঁৱৰী বুলি অনুমান কৰা জনা গাভৰুৰ সাহস আৰু বীৰত্বৰ কথা চুতীয়াসকলৰ মুখে মুখে আজিও প্ৰচলিত। পিতৃ ৰাজ্য গৰুচড়ৰ এই গৰাকী ৰমণী উত্তৰাধিকাৰী আছিল আৰু তেওঁ নশ কোঁৱৰক ওখ গড় বন্ধাই বন্দী কৰি ৰাখিছিল। তিনিচুকীয়া জিলাত অৱস্থিত জনা পথাৰ নামৰ পথাৰখনে এতিয়াও জনা গাভৰুৰ স্মৃতি জীয়াই ৰাখিছে।

চুতীয়া ৰজা ধীৰনাৰায়ণৰ একমাত্ৰ জীয়েক সাধনীয়েও বিয়াৰ পিছত স্বামী নীতিপালক পিতৃ নগৰতে ৰাখি কুবেৰদত্ত সম্পত্তি কৌশলেৰে হস্তগত কৰি নীতিপালক ধীৰনাৰায়ণৰ উত্তৰাধিকাৰী হোৱাৰ পথ নিষ্কণ্টক কৰিছিল। আনকথাত, স্বামীৰ হৈ সাধনীয়েই ৰাজকাৰ্য পৰিচালনা কৰিছিল বুলি ভাবিবৰ থল আছে। কাৰণ জনশ্ৰুতিৰ মতে নীতিপালৰ ৰাজবংশৰ লোক নাছিল। আহোম-চুতীয়াৰ যুদ্ধৰ সময়ত ৰাণী সাধনীয়ে অদম্য সাহস আৰু বীৰত্বৰ পৰিচয় প্ৰদৰ্শন কৰি মৃত্যু বৰণ কৰিছিল। যুদ্ধত পুৰুষ সৈন্যসকল সৰ্বদিশতে পৰাজিত হোৱাৰ সময়তে সাধনীয়ে এটা নাৰী বাহিনী গঠন কৰিছিল। সেই বাহিনীয়ে পৰ্বতৰ পৰা শিল বগৰাই দি বহু সময় আহোম সেনাক বাধা দি ৰাখিব পাৰিছিল। নাৰী বাহিনীক আহোম সেনাই নিষ্ঠুৰভাৱে হত্যা আৰু বন্দী কৰাৰ পিছত সাধনীয়ে আহোমৰ ওচৰত নতশিৰ নহৈ কুবেৰদত্ত সম্পত্তিৰ সৈতে পৰ্বতৰ টিঙৰ পৰা তলৰ কুণ্ডত জাপ দি আত্নহত্যা কৰাৰ কথাই সাধনীৰ সাহস, দেশ আৰু জাতি প্ৰেমৰ জীৱন্ত প্ৰতিচ্ছবি এখন পৰিস্ফুত কৰে।

চুতীয়া সমাজৰ মাতৃ প্ৰাধান্যৰ কেতবোৰ অৱশিষ্ট এতিয়াও চুতীয়াসকলৰ কিছুমান সামাজিক আচাৰ-অনুষ্ঠানৰ মাজেৰে প্ৰকাশ পাই আহিছে। চুতীয়াসকলৰ পুৰণি বিবাহ অনুষ্ঠানবোৰলৈ লক্ষ্য কৰিলে সেই কথা স্পষ্ট হয়। পূৰ্বতে চুতীয়া সমাজত এজন ল'ৰাই তেওঁৰ কাম কৰাৰ পাৰদৰ্শিতা ছোৱালীৰ ঘৰত দেখুৱাব পাৰিলেহে তেওঁলৈ

ছোৱালী দিয়া হৈছিল। কেতিয়াবা এজন ল'ৰাই প্ৰয়োজন সাপেক্ষে এবছৰ পৰ্যন্ত ছোৱালীৰ ঘৰত গা-খাটি দিব লাগিছিল। ইয়াৰ বিপৰীতে ছোৱালীৰ লগতে যাৱতীয় বস্তু কেইপদৰ বাহিৰে কোনো যৌতুক দিয়া বা যৌতুকৰ দাবী উত্থাপন কৰাৰ নিয়ম নাছিল। ইয়াৰ উপৰি চুতীয়া সমাজত তিৰোতাৰ গাৰ্লে হাত দঙাটো এটা ডাঙৰ অপৰাধ বুলি গণ্য হৈছিল। অন্যহাতে বিধবাসকলকো চুতীয়া সমাজ-ব্যৱস্থাত উচ্চ আসন দিয়াৰ উদাহৰণ বহুতো আছে। কিছুমান সামাজিক অনুষ্ঠানত বিধবাসকলকে আগভাগ ল'বলৈ আগবঢ়াই দিয়া হয়। আই-সকাম, অপেস্বৰী সকাম, গোপিনী-সবাহ, নবজাতকৰ বাজ-ওলোৱা আদিত চাকি-বন্তি জ্বলাই শৰাই পতাৰ কামত বিধবা এগৰাকী নহ'লেই নহয়। এইবোৰ কথাই চুতীয়া সমাজ ব্যৱস্থাত নাৰীৰ স্থান কিমান উচ্চ আৰু সন্মানীয় আছিল আৰু বৰ্তমানেও আছে তাকে প্ৰমাণ কৰে।

আদিতে চুতীয়াসকলৰ সমাজত অন্য জনগোষ্ঠীৰ দৰে কেইটামান ফৈদ আছিল। যেনে - দেউৰী, বৰাহী আৰু বুৰুক। হিন্দু ধৰ্ম গ্ৰহণ কৰা সম্ভ্ৰান্ত শ্ৰেণীটোৱে সম্ভৱতঃ নিজকে হিন্দু চুতীয়া বুলি পৰিচয় দিছিল। পৰৱৰ্তী কালত সামাজিক সংমিশ্ৰণৰ প্ৰক্ৰিয়াত মিৰি-চুতীয়া/চুতীয়া-মিৰি, আহোম-চুতীয়া আদি সামাজিক ভাগবিলাকৰ সৃষ্টি হৈছিল। সম্ভৱতঃ সত্ৰ সংস্কৃতিৰ প্ৰভাৱতে হিন্দু ধৰ্ম গ্ৰহণ কৰা এক উচ্চাত্মিকা ভাৱ পোষণ কৰি নিজৰ পুৰোহিত দেউৰীসকল তথা জনজাতীয় স্তৰত থকা সাধাৰণ চুতীয়া সকলৰ পৰা আঁতৰি আহিল। সামাজিক পৰিৱৰ্তনৰ তাগিদাত এসময়ত লালুং চুতীয়া, খাচী চুতীয়া, জয়ন্তীয়া চুতীয়া, মিচিমি চুতীয়া, আবৰ চুতীয়া আদি বিভিন্ন সামাজিক ভাগৰ সৃষ্টি হৈছিল যদিও পৰিৱৰ্তনৰ গতিতে সেই ভাগবোৰ আজি নিচিহ্ন হৈ গ'ল। উদাহৰণ স্বৰূপে চুতীয়াসকলৰ বৰাহী ফৈদটো আহোম জাতিত বিলীন হৈ গ'ল। আহোম-চুতীয়া ভাগটোৰো গৰিষ্ঠসংখ্যকেই আহোম হৈ পৰিল। বৃত্তিগত ভাৱেও বেবেজীয়া চুতীয়া, বিহিয়া চুতীয়া, চাউদাং চুতীয়া, খনিকৰ চুতীয়া, সোণাৰি চুতীয়া, কাঁড়ী চুতীয়া আদি বিভিন্ন চুতীয়া খেলৰ সৃষ্টি হৈছিল সেইবিলাকৰ কোনো চিনেই এতিয়া চুতীয়াসকলৰ মাজত নাই বুলি ক'ব পাৰি।

চুতীয়াসকলে নিৰ্দিষ্ট কোন সময়ত নিজৰ আদিম ভাষা ত্যাগ কৰি অসমীয়া ভাষা গ্ৰহণ কৰিলে সেইটো কোৱা টান। এতিয়ালৈকে চুতীয়া ৰজাসকলৰ যিকেইখন লিপি পোৱা গৈছে তাৰ ভিতৰত সত্যনাৰায়ণ, প্ৰত্যক্ষনাৰায়ণৰ ভূমিদানৰতামৰ ফলি আটাইতকৈ পুৰণি। এই ফলিখনৰ তাৰিখ ১৩১৪ শক (১৩৯২ খ্ৰীঃ)। ইয়াৰ ভাষা সংস্কৃত আৰু লিপি অসমীয়া। ইয়াৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰো যে চতুৰ্দশ শতিকাৰ বহু আগতেই চুতীয়াসকলৰ অন্ততঃ শাসক শ্ৰেণীটোৱে নিজৰ আদিম ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰিছিল। ভাষাৰ এই পৰিৱৰ্তন নিশ্চয় অতি লেহেমীয়া গতিৰে চলিছিল আৰু সময়ৰ লগে লগে সকলো চুতীয়ালোক অসমীয়াভাষী হৈ পৰিছিল।



ভৌগোলিক ভিন্নতায়ো ভাষাৰ পৰিৱৰ্তন আনে। আহোমসকলৰ হাতত পৰাজয় বৰণ কৰাৰ পিছত চুতীয়াসকলক ৰাজ্যৰ ভিন্ ভিন্ অঞ্চলত প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ ফলস্বৰূপেও চুতীয়াসকলে নিজৰ ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰিব লগা হৈছিল। বৰ্তমান স্থানভেদে চুতীয়াসকলৰ কথিত ভাষাও বেলেগ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো চুতীয়া মানুহেই অসমীয়া ভাষা কয়। কিন্তু বাংলাদেশত বাস কৰা চুতীয়াসকল বাংলাভাষী আৰু বৰাক উপত্যকাৰ চুতীয়াসকল বাংলাভাষাৰ দ্বাৰা প্ৰভাৱান্বিত।

সাম্প্ৰতিক কালত চুতীয়া লোকসকলে পৰিস্থিতি আৰু পৰিবেশজনিত কাৰণতে স্বকীয় পৰম্পৰাসমূহ অটুত ৰাখিব পৰা নাই। হীনাত্মিকা মনোভাৱৰ কাৰণেই হওক বা অন্যান্য বাস্তৱ কাৰণতেই হওক চুতীয়া লোকসকলৰ বহুতেই অন্য সম্প্ৰদায়ৰ (বিশেষকৈ আহোম) লোক বুলি পৰিচয় দিবলৈ আৰম্ভ কৰিলে। যোৰহাট জিলাৰ বৰহোলা অঞ্চলত পূৰ্বতে মাটিৰ পট্টা আদিত চুতীয়া উপাধি থকা বহুলোকে এতিয়া গগৈ, চেতিয়া আদি উপাধি লিখি নিজকে আহোম বুলি পৰিচয় দিয়াৰ উদাহৰণ আছে। 'চুতীয়া জাতিৰ বুৰঞ্জী সম্পাদনা সমিতি'ৰ তৰফৰ পৰা সংগ্ৰহ কৰা তথ্যপঞ্জীত এনেকুৱা বহুকেইটা উদাহৰণ পোৱা গৈছিল।

লো-শলীয়া, নাওশলীয়া, সোণ কমোৱা, ধনু-কাঁড় চৰ্চা আদি চুতীয়াসকলৰ পৰম্পৰাগত বৃত্তিবোৰ সময়ৰ অগ্ৰগতিৰ লগে লগে এৰাপৰলীয়া হৈ পৰিল। আধুনিক উদ্যোগ বা বিভিন্ন বৃত্তিৰ লগত প্ৰতিযোগিতাত নামিব পৰাকৈ সংস্কাৰ কৰি নোলোৱাৰ বাবে ক'ৰবাত কোনোবাই চৰ্চা কৰি থাকিলেও সেয়া উল্লেখযোগ্য বুলিব নোৱাৰি। তদুপৰি সময়ৰ অগ্ৰগতিৰ লগে লগে কোনো কোনো বৃত্তিৰ প্ৰাসঙ্গিকতাও নোহোৱা হৈ পৰিছে। উদাহৰণ স্বৰূপে, মাকুম বৰগাঁৱত সাম্প্ৰতিক কাল পৰ্যন্ত বিহ কাঁড় প্ৰস্তুত কৰা প্ৰণালীৰ বিষয়ে জনা লোক আছে। কিন্তু বিহ কাঁড়ৰ প্ৰয়োজনীয়তা নোহোৱা হৈ যোৱাৰ সময়ত এনে বিষয়বোৰ স্বাভাৱিকতেই গুৰুত্বহীন হৈ পৰিছে। চুতীয়াসকলে পৰম্পৰাগতভাৱে তৈয়াৰ কৰা 'ৰহি' বা 'সাজ' তৈয়াৰ কৰিবলৈ এৰি দিয়াটোও উল্লেখযোগ্য। খুব কম সংখ্যক মানুহৰ মাজতহে এই প্ৰথাটো এতিয়াও সংৰক্ষিত হৈ আছে।

এতিয়ালৈকে গৰিষ্ঠ সংখ্যক চুতীয়া লোকে নিজৰ জাতিৰ মাজতে বিয়া-বাৰুৰ সম্পৰ্ক গঢ়িছে যদিও বাস্তৱ কাৰণতে আহোম, কছাৰী, কোঁচ, কেওট, কলিতা আদি লোকৰ লগতো বৈবাহিক সম্বন্ধ স্থাপিত কৰিছে। গতিকে পৰম্পৰাগত ৰীতি-নীতিবোৰৰ স্বাভাৱিকতে সংমিশ্ৰিত ৰূপ লাভ কৰিছে।

অৰ্থনৈতিক কাৰণত দুই-এটা পৰিয়ালে কুকুৰা পুহিবলৈ লৈছে যদিও, গাহৰি পোহা দেখা নেযায়। জাত-পাতৰ বিচাৰো ক্ৰমাগতভাৱে কমি আহিছে। চুতীয়া জাতিৰ লোকসকলৰ সৰহসংখ্যকেই নিজৰ ল'ৰা-ছোৱালী অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাটোও উল্লেখযোগ্য।

জনজাতীয় স্তৰত থকা অৱস্থাত চুতীয়াসকলৰ খোৱা-বোৱা, পিন্ধা-উৰা আদি জীৱন ধাৰণৰ প্ৰক্ৰিয়াৰ সকলোতে জনজাতীয় পৰম্পৰা বিৰাজ কৰিছিল। উদাহৰণ স্বৰূপে, চাউলৰ পৰা তৈয়াৰী পানীয় আৰু শুকান মাছ আৰু মাংস চুতীয়াসকলৰ এসময়ৰ প্ৰিয় খাদ্য আছিল। অৱশ্যে পকা পন্থী চুতীয়াসকলৰ মাজত সেই পৰম্পৰা এতিয়াও আছে। সাজ-পোচাক আৰু অলঙ্কাৰ পৰিধানৰ ক্ষেত্ৰটো জনজাতীয় পৰম্পৰাই বিৰাজ কৰিছিল। এসময়ত তিৰোতাসকলে তিনিখনীয়া বস্ত্ৰ পৰিধান কৰিছিল আৰু ডিঙি, কাণ আৰু হাতত মাদলি, দুগদুগী, জাংফাই, থুৰীয়া, গামখাৰু আদি পিন্ধিছিল। সাধাৰণ পুৰুষসকলে কপাহী চুৰিয়া আৰু এঙা চোলা আৰু সম্ভ্ৰান্তসকলে পাটৰ চুৰিয়া, ডিঙি কটা চোলা আৰু খনিয়া কাপোৰ পৰিধান কৰিছিল। পুৰুষে এখন কাণ ফুটা কৰি লং কেৰু আৰু ডিঙিত মতামণি পিন্ধিছিল। চুলি কান্ধত পৰাকৈ দীঘলকৈ ৰাখিছিল। সেইদৰে ভৰিত কাঠৰ পাত আৰু বেতৰ ৰচীৰে তৈয়াৰী পাদুকা বা ফানতী পিন্ধিছিল। ৰজাই সোণ-ৰূপৰ কাম কৰা পয়জাৰ পিন্ধিছিল।

সময়ৰ পৰিবৰ্তনৰ লগে লগে চুতীয়াসকলৰো জীৱন ধাৰণৰ প্ৰক্ৰিয়া সলনি হ'ল। চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাৰ সময়ৰে পৰা একশ্ৰেণীৰ চুতীয়া লোক আৰ্য সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল। পৰৱৰ্তী সময়চোৱাত সম্ভ্ৰান্ত চুতীয়াসকলৰ গৰিষ্ঠ সংখ্যকেই বৈষ্ণৱ পৰম্পৰাৰ প্ৰভাৱত নিজৰ স্বকীয় জনজাতীয় বৈশিষ্ট্য পৰিহাৰ কৰিছিল যদিও সাধাৰণ চুতীয়াসকলৰ মাজত জনজাতীয় পৰম্পৰা অটুত আছিল। সম্ভৱতঃ সেইবাবেই ব্ৰিটিছ চৰকাৰে ১৯৩৫ খ্ৰীঃত চুতীয়াসকলক অনুসূচীত জনজাতিৰ তালিকাভুক্ত কৰিছিল কিন্তু সেই সময়ৰ সমাজ ব্যৱস্থাত বৰ্ণ-বৈষম্যৰ অভূতপূৰ্ব প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত প্ৰগতিবাদী ধ্যান-ধাৰণাৰে পুষ্ট কেইজনমান ব্যক্তিৰ তৎপৰতাত চুতীয়া জাতি যুৱ ছাত্ৰ সন্মিলনিয়ে জনজাতিকৰণৰ বিৰুদ্ধে সৰব প্ৰতিবাদ কৰাত চুতীয়াসকলক অন্যান্য পিছপৰা জাতিৰ অন্তৰ্ভূক্ত কৰিছিল। পৰৱৰ্তী সময়ত চুতীয়াসকলে নিজৰ ভুল বুজি জনজাতিকৰণৰ দাবী উত্থাপন কৰি আহিছে।

পৰিশিষ্ট ক

# *চুতীয়া ৰজাসকলৰ ফলি*

## *সত্যনাৰায়ণৰ-প্ৰত্যক্ষনাৰায়ণৰ ধেনুখনা ভূমি দানৰ তামৰ ফলি (১৩১৪ শক/১৩৯২ খ্ৰীঃ)*

**প্ৰথম পৃষ্ঠা ঃ**

নমো গণপতয়ে ।। ৱন্দে * * * * *
* হে * দিতি-সুত-নিৱহং * * * বাসুদেৱং।। ঈশানং সন্নতানামভিমত-
* * * * * তুহিন-গিৰি-সুতাং স্বৰ্ৱন্দ্যামম্বা -
* * যস্যা প্ৰসাদ-ৰসনে সৰস- * দৈত্যেয়-দৰ্প-দলনে * * ধাৰণন্তীংতামিন্দু- *
প্ৰণমানি ভক্ত্যা শক্ত্যাতুলাস্ত্ৰিপুৰ-ৱৈৰি মনোহৰাঙ্গীম্। * * তনয়া-
* * অভূন্নন্দি-নৃপো মহান্ ধৰাৰণ্য-মদোন্মক্তো ৱিপক্ষ কৰি-কেশৰী। নো ৱা খে
নো ৱা ভূৱি ভূপ একো লহিত্য যথা * * পুণ্যকৰ্ম্মা। প্ৰখ্যাত-কীৰ্ত্তি-ৰ্ন্নিয়তাৰি-দৰ্প আসীৎ
* *
সধয়া-পুৰীশঃ। নন্দিসৰা * য উপায়-নিতস্য ৰসোদোধাৰ্য্য-দণ্ড-প্ৰতিপক্ষ-দক্ষঃ
প্ৰসূয়তে যস্য জগতি জনৌঘে দেৱ-দ্বিজাৰ্চ্চন-পৰো নীতি-সুশীলঃ। তস্যাৎ *
* * দৈত্যনামাত্তমামামতিঃ। স্বকে ৱেশ্মনি দৈৱকী সততং সৎকৰ্ম-সম্পাদিনী তস্যা
গৰ্ভসমু-
দ্ভৱো সুৰ-ৰিপু-ৱংশাংশ-ভূতো ধৰা-ভাৰোদ্বাৰ-কৰো জিতাৰি-নিৱহঃ শ্ৰীসত্য-
নাৰায়ণঃ। স চাভৱদ্ ভূপতিৰুগ্ৰৱীৰ্য্যঃ শ্ৰীসত্যনাৰায়ণ-তুল্য এষঃ স * সংন-
দ্ধ-সুৱেশ-কীৰ্ত্তি-প্ৰদীপ-ভূপাল-তমো-দিনেশঃ কাশ্যাপান্বয়-সম্ভুত আসীৎ সংক-
ৰ্ষণো দ্বিজঃ। ততোহভৱন্মহাৱিদ্বানুমাপতিঃ প্ৰতিষ্ঠিতঃ। তৎসূনুৰভৱদ্ধীমান্ বসুধা-
পতিঃ পূজিতঃ। অক্ষুণ্ণ-পুণ্যৱান্ ৱিপ্ৰঃ খ্যাতো নাৰায়ণো দ্বিজঃ। শত-ষট্-পু-
টি-সমিত-ভুৱনমুমতোহধিকং দদৌ ভূপতিস্ তস্মৈ নাৰায়ণ-দ্বিজাত্মনে।। ম
ন্বন্তৰায়ামেষ্য ধৱলিচ-তীৰতঃ ৱৃত্তিকাৰ-জনৈঃ সাৰ্দ্ধং শাসনং স্বৰ্গ-

[সি] দ্বয়ে। ৰেদে চন্দ্ৰে চ বিতিহোত্ৰে সৰূপকে নাম সৰ্ব্বজ্ঞঃ
* নিশ্লোকান্নিৰিন্বিতঃ। নৃপাদেশাৎ দদৌ তেন লুদুমিমাৰীতি নামতঃ।
* * * * [দ্বি-]কুণ্ডাবল-নৌ-স্থলীম্।। সূৰ্ব্বে সৰটঃ সেতুৰ্দক্ষি-
[ণে] * * * তুৰধশঃ [দ]ণ্ডিকাবাৰস্তথোত্তৰে। কাশ্য-

**দ্বিতীয় পৃষ্ঠা ঃ**

* * * * *। মহেশ্বৰো মাধৱশ্চৈৱ এ- * *
* * * * * সং।। ত্ৰিলোচন-মহাদেৱ-কাত্যায়ণ [া] ইতি শ্ৰু -
তাঃ। * * * * চৈৱ এতে হাৰিতকা দ্বিজাঃ। গৌতমো বাসুদেৱশ্চ নাৰা-
য়ণ ইতি শ্ৰুতাঃ।। গৌৰাত্ৰশ্চ মহাদেৱো বাৎস্যশ্চ গদাধৰঃ। কাশ্যপো
বলভদ্ৰ ত্ৰিলোচন ইতি শ্ৰুতাঃ। * -শ্চ শাণ্ডিল্যস্ তাৰাপতিৰিতি
দ্বিজৌ * * -শ্চ মৌদগল্যো ভৰদ্বাজো গদাধৰঃ। দৈ- * * সকথা-
শ্চৈৱ তাৰাপতিশ্চ গ্ৰামণীঃ। জগতি খ্যাতঃ কটকিখাতৈলজট-
কঃ।। মদ্দত্ত-শাসনমিদং পৰিপালয় যো ভূমিপতেৰ্নৃপতেৰ্মমাপি ত-
স্মৈ প্ৰত্যহ-ঘটি-ত্ৰয়ো গঠিত-সম্পূট-পাণিৰাসে ভাষেতি ৰাজপুৰুষো ই-
খং প্ৰয়োৰ্ত্তিঃ।। ৪১৩১।। গোটাপৰা ইতি খ্যাতা গ্ৰামাগ্ৰণী সহাম্বু-
না পৰিৱৰ্ত্তা দদৌ ভূমি-দ্বি-কুণ্ডাবল-নৌ-স্থলীম্।। ৰাজাদেশাৎ দদৌ তে-
ন ব্ৰাঘ্যমাৰীতি নামতঃ। শত-ষট্-পুটি-মিতৈৰ্ভূমিং প্ৰত্যক্ষনাৰায়ণো
নৃপঃ।। পূৰ্ব্বে গলগুা-সেতুৰ্বৰ্হাল-তৰূৰ্দক্ষিণে প্ৰতীচ্যাং কুসুমো
গেৰূৰ্বটবৃক্ষঃ তথোত্তৰে।। * * * * *
চভঙ্কোযু বিশন্যাখ্যে শত-দ্বয়-পুটি-মিতং ৱিপ্ৰানাং ভাৰ্গৱাত্মজং দদৌ না-
* য় * যশঃ।

উৎস - **প্ৰাচ্য-শাসনাৱলী**, সম্পাদিত মহেশ্বৰ নেওগ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৬, পৰিশিষ্ট ক, পৃঃ ৯৩-৯৬। ফলিখনৰ এটি চমু আভাস এইখন গ্ৰন্থৰ প্ৰথম অধ্যায়ত 'প্ৰত্নতাত্ত্বিক নিদৰ্শন' শিতানত আৰু দ্বিতীয় অধ্যায়ৰ 'ৰজা সত্যনাৰায়ণ' শিতানত দিয়া হৈছে। বিস্তৃত বিৱৰণৰ কাৰণে চাওক - সৰ্বেশ্বৰ বৰুৱাৰ 'চতুৰ্দশ শতিকাৰ চুতীয়া ৰাজত্ব' **মনিদীপ**, পঞ্চম বছৰ, সংখ্যা ১-৪, নৱেম্বৰ, ১৯৬৫-ফেব্ৰুৱাৰী ১৯৬৫ আৰু **প্ৰাচ্য শাসনাৱলী**, ভূমিকা, পৃঃ ৮২-৮৫।



## *বৰমূৰ্তিয়া-বিল তাম্ৰপত্ৰ (১৩১৪ শক/১৩৯২ খ্ৰীঃ)*

**প্ৰথম পাঠ ঃ**

শাৰী
১ ভৱজং ভৱভীতিঘ্না (ং)
২ (গণ)পতিং ভজে।।
আসীৎ[১]
৩ (শ)ত্ৰুজেতা যুৱৰাজ ইতি খ্যাত ঃ
বিযুৎস্বকুলসম্ভৱঃ।
৪ (সধ)য়াধৰো নৰপতিঃ শ্ৰীসত্যনাৰায়ণঃ।।
৫ সৰ্ব্বাসাগতণজ্জসা (?) /হাত (?)-শাস্তা[২] নৃণাং।
নীত্যাধান[৩] প্ৰধানধামনিৰহৎপ্ৰখ্যাত (কীৰ্ত্তিঃ)
৬ দাতা কৰ্ন্নসমান শৌৰ্য[৪]-নিলয়ো
দীনানুকুলশ্চায়ম্[৫]।
৭ তস্যা/ত্মজঃ ক্ষ্মাপতিৰুগ্ৰবীৰ্যঃ নিজৌজসা[৬]
তৰ্জ্জিতবৈৰিপক্ষঃ।
৮ দেৱী[৭]-পদযুগাৰ্চ্চনবৃত্তচিত্তঃ[৮]
শ্ৰীধৰ্ম্মনাৰায়ণনামধেয়ঃ।।
৯ (গৌ)/ৰাত্ৰকুলজো ৱিপ্ৰঃ কামদেৱাভিধানকঃ[৯]।
১০ তৎপুত্ৰো ৰবি (দেৱা)/ খ্যঃ
সদ্ধৰ্ম্মসৎক্ৰিয়াশ্ৰয়ঃ[১০]।।
১১ শ্ৰীবাসুদেৱোহভৱদস্য পুত্ৰঃ ০০/সয়ঃ (?)
সৰ্ব্বগুণৈৰুপেতঃ।
১২ সৎকৰ্ম্মণা নিজ্জিতবৈৰিপাপঃ[১১] স০/যঃ
হৰিপাদপদ্ম(লী)নঃ।।

০ চিনে এটি আখৰ মচ খাই যোৱা বুজাইছে; [১] আশীত, [২] সাস্তা, [৩] নিত্যাধান, [৪] সৌৰ্য, [৫] কুলশ্বায়ং, [৬] নিজোজসা, [৭] সৈবী, [৮] চিত্তঃ, [৯] দেৱাবিধানক, [১০] সৎকৃয়াশ্ৰয়ঃ, [১১] পাপ০ (বিসৰ্গৰ তলৰ বিন্দুটি মৰি গৈছে যেন বোধ হয়)।

১৩ এতস্মৈ শাসনং[১২] পূৰ্ব্বনৃপদত্ত(ং) নব০০
(শ্ৰীধ)যৰ্ম্মনাৰায়ণঃ
১৪ প্ৰাদাত্তস্মৈ ৱিপ্ৰায় শাসন[১৩] ০শত
-বিষম০নিকা-( ?)

**দ্বিতীয় পাঠ ঃ**

শাৰী
১ -গ্ৰামক্ষেত্ৰৱাটী-[১৪]
২ ৱেদে চ চন্দ্ৰে সম্বৰসংজ্ঞকে[১৫]
গজত্ৰস্তৈনমানেনলা ( ?)
৩ প্ৰাচ্যা হৰীতকী সীম্নি[১৬] যাম্যাঞ্চ[১৭] পিপ্পলস্তৰুঃ।
৪ ৱাৰুণ্যাং জ০০০/খ্যাতঃ ন্যগ্ৰোধশ্চা[১৮] প্যথোত্তৰে।।
৫ গৌৰাত্ৰেয়কুলোৎপ(ন্নো স)/যো[১৯] ধনপতিঃ শ্ৰুতঃ।
৬ অপঞ্চক স ৱিজ্ঞেয়ঃ পূৰ্ব্বং য(স্তু স)/পঞ্চকঃ।।
যত্তু[২০] পাঞ্চিদ্বয়ং খ্নদ্ৰং ( ?) তদেকা স্যা০০০০।
৭ পঞ্চক(ঞ্চ) ৱিজানীয়াদ্বাটী[২১] চৈকাপ্যপঞ্চকা।।
৮ পৰাশৰো[২২] ব০০/নিঃ ভৰদ্বাজো গদাধৰঃ।
৯ বসিষ্ঠো দ্বিজৱৰাখ্যশ্চ[২৩] সাণ্ডি০/০দেৱকঃ।।
কাশ্যপাদুমাপতিশ্চৈৱ[২৪] মৌদ্যাল্যাদ্ভাস্কৰঃ[২৫]।
১০ দামোদৰো ভৰদ্বাজঃ থানুসাবনিকস্তথা।
১১ বসিষ্ঠো ০০০/বশ্চ[২৬] দেঅল্ম্যানো ধৰাধৰঃ।
১২ কাশ্যপাৎ[২৭] ৰত্নাকৰো ০০/ৰো বাসুদেৱকঃ।
ৱিশ্বম্ভৰাখ্যশ্চ[২৮] এতে শাসন[২৯] - ০০০০০।।
১৩ প্ৰাঞ্চিদ্বয়ং খ্নদ্ৰং ভাগদ্বয়প্ৰবাধৎস০০কঞ্চু-[৩০]
১৪ -তচণ্ডিকাদাস-বি-( ?)
১৫ -লবঞ্চ০ি ল০তঃ। ০াথং—( ?)[৩১]।

---

[১২] শাষনং, [১৩] শাষণ, [১৪] খেত্ৰবাটী, [১৫] সংজ্ঞকঃ, [১৬] শীম্নি, [১৭] জাম্যাঞ্চ (যাম্যেচ ?, যাম্যায়াঃচ ?; পিছৰ ক্ষেত্ৰত চন্দ নৰয়), [১৮] ন্যগ্ৰোধশ্বা, [১৯] জো, [২০] যস্তু, [২১] ('টী'ৰ 'ট' অংশ হাতুৰিৰ কোবত নিশ্চিহ্ন হৈ গৈছে), [২২] পৰাসৰো, [২৩] দ্বিজৱৰাক্ষশ্ব, [২৪] কাস্যপাত উমাপতিশ্বৈৱ, [২৫] মৌদ্গল্যাভাস্কৰঃ, [২৬] বশ্ব, [২৭] কাসপাত, [২৮] বিশ্বম্ভাৰাক্ষশ্ব, [২৯] শাষণ, [৩০] শব্দটো সৰ্বেশ্বৰ বৰুৱাই 'কঞ্চুকি' বুলি পঢ়িছে, [৩১] এই শাৰীটো অতি খুদ খুদ আখৰেৰে খোদিত। পাঠ দুৰূহ।

**উৎস** - 'সদিয়া-চেপাখোৱা তাম্ৰপত্ৰ ১৩৫০ শক', **সংজ্ঞা**, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা; ড০ মহেশ্বৰ নেওগ, 'বৰমূৰ্তিয়া-বিল তাম্ৰপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, ২য় বছৰ, ২য় সংখ্যা, জুলাই, ১৯৭৬,পৃঃ ৮৭-৮৮।



## *লক্ষ্মীনাৰাণৰ ঘিলামৰা ভূমি দানৰ তামৰ ফলি (১৩২৩ শক/১৪০১ খ্ৰীঃ)*

**প্ৰথম পৃষ্ঠা ঃ**

[গ]ণেশং কাৰ্য্য-সিদ্ধ্যৰ্থেং দেৱাসুৰ-নমস্কৃতং। পাৰ্ব্বতী-হৃদয়া-
[ন]ন্দং চাত্মজং প্ৰণমাম্যহং।। আসীত্ত্বাশু-ভৱো ৱীৰো
জিত-ৱীৰ-ৱৰাৰ্চ্চিতঃ। নিৰ্ভয়ঃ স্বধয়াপুয্যাং নন্দীশ্বৰো
ইতি শ্ৰুতঃ।। তস্য পুত্ৰোহভৱদ্ৰাজা সত্যনাৰায়ণো ম-
হান্। নিৰ্জ্জেতাশেষ-ভূপালো ভীত্যা ভূপতি-ৱন্দিতঃ।।
তজ্জো ভূভুজাং শ্ৰেষ্ঠো লক্ষ্মীনাৰায়ণো নৃপঃ। যেনৈ-
কেন জিতাঃ সৰ্ব্বে ৰাজানশ্চ ৱশীকৃতাঃ।। আসীৎ শাণ্ডিল্য-
ৱংশীয়ঃ সৎকৰ্ম্মাপাস্ত-কিল্বিষঃ। ধীমান্ কমলনাভাখ্যঃ সত্যৱা-
দী জিতেন্দ্ৰিয়ঃ। তস্যাত্মজো হৰিৰ্নাম্না বাসুদেৱাৰ্চ্চনে ৰতঃ।
তৎসূনু-ৰবিদেৱাখ্যঃ সোহপি লোক-পুৰস্কৃতঃ।। এতস্মৈ শাসন[ং] প্ৰা-
দাল্লক্ষ্মীনাৰায়ণো নৃপঃ। উৎসৃজ্য বিষুৱে পুণ্যে ৰৱিদেৱ-দ্বিজন্ম-
নে বখনা-গ্ৰাম-সহিতং শত-দ্বয়-পুটি-মিতং। স্বৰ্ণদী পূৰ্ব্বতঃ সীমৌ
যাম্যাং পোকামাৰী শ্ৰুতা। অশ্বথঃ পশ্চিমে চৈৱ চম্পাৱতী
[ত]থোত্তৰে। শাকে ৰামে ভুজে ৱহ্নৌ দ্বিজৰাজ-যুতে তথা
* দোনকঃ পকা-নাম্না সীমা-নিৰ্ণয়-কাৰকঃ।। দ্বিজ উপনস-
* ষ্ঠো বসিষ্ঠো ৰৱিদেৱকঃ। শাণ্ডিল্য-গোত্ৰজৌ ৱিপ্ৰো ভূদেৱ *
* মানিনৌ। ভৰদ্বাজাৎ কামদেৱো মৌদগল্যাদ্বাসুদেৱক [ঃ]। তাৰা

কামদেৱ নামক ব্ৰাহ্মণৰ পুত্ৰ ৰবিদেৱ সধৰ্ম আৰু সৎ ক্ৰিয়াশীল আৰু শ্ৰী বাসুদেৱক হাতযোৰ কৰি পূজা পূৰ্বক হৰিৰ পাদপদ্মত মতি স্থিৰ লোক। সেই ব্ৰাহ্মণক পূৰ্বৰ ৰজাই দিয়া দানপত্ৰ মতে (?) নাৰায়ণক দুশ পৰিমাণৰ (ভূমি) দানপত্ৰ কৰি দিছে। দানৰ স্থান কোনোৱা নেত্ৰবাটা গাঁৱত থকা অনুমান। দানৰ শক ১৩১৪ ....'।[১১৬] এই শাসনৰ ভাৱাৰ্থ ড° মহেশ্বৰ নেওগে এনেদৰে দাঙি ধৰিছে - 'সম্ভৱতঃ শাসনখনৰ দাতা হ'ল বিযুৎস (?) বংশ সম্ভূত আৰু শত্ৰু-বিজেতা ৰাজকোঁৱৰ আৰু শাসক (যুৱৰাজ) নামে জনাজাত পুৰুষ। সধয়া দেশৰ অধীশ্বৰ শ্ৰীসত্যনাৰায়ণ এজন প্ৰখ্যাত প্ৰজাপালক তেওঁৰ পুত্ৰ উগ্ৰবীৰ্য, নিজ বীৰত্বৰে বৈৰীপক্ষক তৰ্জিত কৰোঁতা, দেৱীৰ পাদ-দ্বয়ত চিত্ত-নিবিষ্ট ৰাখোঁতা শ্ৰীধৰ্মনাৰায়ণ নামৰ ভূপতি।'

'গৌৰাত্ৰ (গৌৰাত্ৰেয়) গোত্ৰৰ ব্ৰাহ্মণ কামদেৱৰ পুত্ৰ ৰবিদেৱ সদ্ধৰ্ম আৰু সৎ কৰ্মত আশ্ৰয়শীল। তেওঁৰ পুত্ৰ শ্ৰীবাসুদেৱ সৰ্বগুণ সম্পন্ন, সৎকৰ্মৰদ্বাৰা বৈৰীস্বৰূপ পাপ নিৰ্জেতা, ... আৰু হৰিৰ পাদপদ্মত একান্ত মগ্নচিত্ত। তেওঁকে শ্ৰীধৰ্মনাৰায়ণ ৰজাই পূৰ্বৰ ৰজাসকলে দান কৰা শাসনকে পুনৰ দান কৰিছে। ... সেই শাসনৰ ভিতৰত গাঁও, পথাৰ, বাৰী আছে। বেদ-চন্দ্ৰ-স্বৰ অৰ্থাৎ ১৩১৪ শকত এই শাসন দিয়া হয়।[১১৭]

হস্তলিপিৰ দিশৰপৰা ফলিখন বিচাৰ কৰি চালে ধেনুখনা ফলি, ঘিলামৰাৰ ফলি, সদিয়া-চেপাখোৱা ফলি আৰু পায়া তাম্ৰেশ্বৰী মন্দিৰৰ ফলিৰ লগত তাৰ মিল দেখা যায়। বৰ্ণ বিন্যাসৰ ক্ষেত্ৰত 'শীম্নি', 'আশীত' আদি মন কৰিবলগীয়া আৰু ধেনুখনা আৰু ঘিলামৰা ফলিৰ লগত তুলনীয়। সদিয়া-চেপাখোৱা ফলিত 'সাসন' লিখা হৈছে। ইয়াত তাক 'শাষন' ৰূপে দেখা গৈছে।[১১৮]

বৰুৱাদেৱে 'শত্ৰাজিত যুৱৰাজ' বুলি পঢ়া শব্দটো নেওগদেৱে 'শত্ৰুজেতা যুৱৰাজ' বুলি পঢ়িছে আৰু এইটোৱেই বেছি গ্ৰহণযোগ্য যেন লাগে। ইয়াৰ বাদেও এই দুয়োজন পণ্ডিতৰ পাঠোদ্ধাৰত কিছু অমিল দেখা যায়, কিন্তু তাৰপৰা ফলিখনৰ মূল পাঠৰ ভাৱাৰ্থ বুজাত কোনো অসুবিধা নাই।

ভূমিদান সম্পৰ্কীয় তৃতীয়খন ফলি উদ্ধাৰ হৈছিল লক্ষীমপুৰ জিলাৰ ঘিলামৰা অঞ্চলত। ফলিখন সৰ্বেশ্বৰ বৰুৱাদেৱে শ্ৰী লৰাম বৰুৱাৰপৰা পাইছিল। ফলিখনৰ আকাৰ সৰু, দীঘে সাত আৰু পুতলে পাঁচ ইঞ্চি। বৰুৱাদেৱে ফলিখনৰ পাঠ **আৱাহন**[১১৯] আৰু **Journal of the Assam Research Society**ত[১২০] প্ৰকাশ কৰিছিল। ফলিখনত স্বধয়াপুৰীশ্বৰ নন্দীশ্বৰৰ পুত্ৰ সত্যনাৰায়ণ আৰু এই সত্যনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ

[১১৬] ঐ, তৃতীয় সংখ্যা, পৃঃ ২১১।

[১১৭] 'বৰমূৰ্তিয়া-বিল তাম্ৰপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, জুলাই ১৯৭৬,পৃঃ ৮৭।

[১১৮] ঐ, পৃঃ ৮৮।

[১১৯] ষষ্ঠ বছৰ ষষ্ঠ সংখ্যা, চ'ত ১৮৫৬

[১২০] Vol.iii,no.2, July 1935,pp.40-47.



ৰজাই ৰবিদেৱ নামৰ এজন ব্ৰাহ্মণক বখনা গ্ৰামত ১৩২৩ শক (১৪০১ খ্ৰীঃ)ৰ বিষুব সংক্ৰান্তিৰ দিনা ২০০ পুটি (পুৰা) ভূমি দান কৰাৰ কথা খোদিত আছে। প্ৰদত্ত ভূমিৰ পূবে আছিল স্বৰ্ণদী, দক্ষিণত পোকামাৰী আৰু উত্তৰে চম্পাৱতী। ফলিখনৰ মতে, ৰবিদেৱৰ পিতৃ হৰি বাসুদেৱৰ পৰম ভক্ত আছিল আৰু ককাক শাণ্ডিল্য গোত্ৰৰ কমলনাভ এজন অতি সত্যবাদী আৰু ৰিপু দমনকাৰী ধাৰ্মিক ব্ৰাহ্মণ আছিল। ফলিখন খোদিত কৰিছিল ডনক নামৰ এজন লোকে।

ভূমিদানৰ চতুৰ্থখন ফলি হ'ল ১৩৫০ শকৰ (১৪২৮ খ্ৰীঃ)ৰ সদিয়া-চেপাখোৱা তামৰ ফলি। এইখন ফলি ড° লীলা গগৈ আৰু ভবানন্দ গোহাঁইদেৱে সদিয়াৰ চেপাখোৱা মৌজাৰ মৌজাদাৰ নীলকণ্ঠ গোহাঁইদেৱৰপৰা সংগ্ৰহ কৰি পাঠোদ্ধাৰৰ বাবে ড° মহেশ্বৰ নেওগদেৱক দিছিল। ফলিখন দীঘে ২৫ ছেঃমিঃ আৰু পুতলে ১৪.৭ ছেঃমিঃ। প্ৰথম পৃষ্ঠাত ১২ শাৰী আৰু দ্বিতীয় পৃষ্ঠাত ১১ শাৰী- মুঠ ২৩ শাৰীত ইয়াৰ পাঠ সম্পূৰ্ণ হৈছে। ফলিখনৰ অৱস্থা ভাল। গতিকে ইয়াৰ পাঠোদ্ধাৰ কৰাত বেছি কষ্ট নহয়। অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা, ড° মুকুন্দ মাধৱ শৰ্মা, ড° প্ৰীয়াংশু প্ৰৱল উপাধ্যায় আৰু ড° অপূৰ্ব চন্দ্ৰ বৰঠাকুৰৰ সহায়ত ড° মহেশ্বৰ নেওগে ফলিৰ পাঠ নিৰ্ণয় কৰে।[১২১] ফলিখনৰ আৰম্ভণিতে কমতাপুৰৰ উল্লেখে এটা খেলিমেলিৰ সৃষ্টি কৰিলেও ফলিখন যে চুতীয়া ৰজাসকলৰ এই কথা সিদ্ধান্ত কৰাত অসুবিধা নহয়। দাতা ৰজাজনৰ নামো অৱশ্যে স্পষ্টকৈ দিয়া নাই। তেওঁ শ্ৰীধৰ্মনাৰায়ণৰ পুত্ৰ। এই ফলি অনুসৰি হাবুঙৰ পুৰন্দৰ বিপ্ৰক ৪০০ পুটি মাটি দান কৰা হৈছিল। হাবুঙৰ অধিপতি শ্ৰী বৃহৎপাত্ৰ (বিষয়গত উপাধিৰ)ৰ তত্বাৱধানত এই ফলি দান কৰা হৈছিল। ফলিখনে হাবুং অঞ্চল চুতীয়া ৰজাসকলৰ অধীনত থকাতো সাব্যস্ত কৰে।

ভূমিদানৰ পঞ্চমখন ফলি ঢকুৱাখনাৰ কোঁৱৰ গাঁৱৰ বিনোদ কোঁৱৰ নামৰ এজন লোকৰপৰা ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ধৰণী কলিতাৰ সহায়ত বিশ্বনাথ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° নিত্যানন্দ গগৈয়ে সংগ্ৰহ কৰে। ফলিখন তামৰ। ড° গগৈয়ে ফলিখনৰ পাঠোদ্ধাৰ কৰে বিশ্বনাথ চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষক ড° ক্ষেমৰাম নেপালৰ সহযোগত। ফলিখন দীঘে ১৯ ছেঃমিঃ আৰু পুতলে ১২.৫ ছেঃমিঃ। মূলতে পুতল আছিল প্ৰায় ১৪ ছেঃমিঃ। প্ৰথমে আৱিস্কাৰ কৰা লোকজনে ১.৫ ছেঃমিঃ মান বহল অংশ এটা কাটি পেলোৱাত ফলিৰ প্ৰথম শাৰীটো কটা যায়। দুটামান আখৰ ইতিমধ্যে নষ্ট হৈছে যদিও ফলিখন সামগ্ৰিকভাৱে অক্ষত অৱস্থাত আছে। ফলিখনৰ দাতা ৰজাজনৰ নাম সধেয়াধিপতি শ্ৰী ধীৰনাৰায়ণ। তেওঁ বিযুৎস্ব বংশৰ যন্‌কাদ (যক্ষ্মাদ ?) নাৰায়ণৰ পৌত্ৰ ৰজা পুৰন্দৰৰ পুত্ৰ

[১২১] মহেশ্বৰ নেওগ, 'সদিয়া-চেপাখোৱা তাম্ৰপত্ৰ ১৩৫০ শক', **সংজ্ঞা**, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা,পৃঃ৯১-১০১।

**দ্বিতীয় পৃষ্ঠা ঃ**

পতির্গৌতমজো ভৱদেৱ-হুতাশনৌ।। পশুপ-
তিঃ কামদেৱোহপৰঃ কালক-লিপিকঃ। শাণ্ডি-
ল্য-গোত্ৰজাশ্চৈতে উপাসদ্বাসুদেৱকাঃ।।

---

উৎস - **প্ৰাচ্য-শাসনাৱলী**, সম্পাদিত মহেশ্বৰ নেওগ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৬, পৰিশিষ্ট ক, পৃঃ ৯৬-৯৭। ফলিখনৰ এটি চমু আভাস এইখন গ্ৰন্থৰ প্ৰথম অধ্যায়ত 'প্ৰত্নতাত্ত্বিক নিদৰ্শন' শিতানত আৰু দ্বিতীয় অধ্যায়ৰ 'ৰজা লক্ষ্মীনাৰায়ণ' শিতানত দিয়া হৈছে। বিস্তৃত বিৱৰণৰ কাৰণে চাওক - **আৱাহন**, ষষ্ঠ বছৰ, ষষ্ঠ সংখ্যা, চ'ত, ১৮৫৬ আৰু **প্ৰাচ্য শাসনাৱলী**, ভূমিকা, পৃঃ ৮৫।



## *সদিয়া-চেপাখোৱ তামৰ ফলি (১৩৫০ শক/১৪২৮ খ্ৰীঃ)*

**প্ৰথম পৃষ্ঠা ঃ**

শাৰী

১ ওঁ নমো গণপতয়ে।।
গণেশ-পদ্-যুগাম্ভোজং[১] ৱন্দে ৱাঞ্ছাপ্তিহেতৱে।
২ ৱন্দাৰু-দিৱি/ষদ্[২]-বৃন্দৃ মৌলি-লীনাব্জ[৩]-ষট্পদম্[৪]।। ১।।
একোহভূৎ কমতাপূৰে[৫] নৰপতি[৬]-ৰ্ভূপাল-ৱাৰাৰ্চ্চিতঃ।
৩ /কন্দৰ্প-প্ৰতিপক্ষ-লক্ষ-ৱিজয়ী শ্ৰীৰত্ননাৰায়ণঃ[৭]।। ২।।
৪ তৎপূত্ৰো নিজ-বাহু-ৱীৰ্য-ৱিজি/ত-ক্ষ্মাপাল-জলো মহান্।
৫ দানে কৰ্ণ-সমো ৱিৱেক-জলধিঃ শ্ৰীধৰ্ম্মনাৰা/য়ণঃ।। ৩।।
তস্যাত্মজো নিখিল-শাস্ত্ৰ[৮]-গুণ-প্ৰপূৰ্ণো[৯]
৬ ভূপাল-জাল-চন-মৌলি-নিষে/ৱিতাজিঃ[১০]।
জীয়াচ্চিৰং গজপতিৰ্ভুৱি দুৰ্লভঃ-শ্ৰীৰে[১১]
৭ নাৰায়ণঃ প্ৰণত-লোক-/সুখ-প্ৰদোহসো।। ৪।।
শ্ৰুত-কৌশিকস্য[১২] সুতো নীলাম্বৰ ইতি স্মৃতঃ।
৮ ৱেদ-শাস্ত্ৰাৰ্থ[১৩]-ত/ত্বজ্ঞ ষট্কৰ্ম্ম-নিৰতঃ শুচিঃ।। ৫।।
৯ ততোহ[১৪] ভৱৎ কাৰ্ৎস্নদেৱো[১৫] দ্বিজো ধৰ্ম্ম-ৰতো হ/নঃ।
কৃতান্ত-মনু[১৬] নীতিজ্ঞো ধৰ্ম্ম-শাস্ত্ৰ-ৱিশাৰদঃ[১৭]।। ৬।।
১০ পুৰন্দৰস্তো ৱিপ্ৰো হ/ৰি-দেৱো[১৮] দ্বিজোত্তমঃ।
কাতন্ত্ৰ-স্মৃতি-ৱেদাৰ্থ[১৯]-তত্ত্ব-ৱিন্নিত্য-কৰ্ম্মকৃৎ।। ৭।।
১১ স দ/দৌ ভূপতিঃ প্ৰীত্যা শাসনং[২০] স্বৰ্গমীপ্সয়া।

---

[১] মূলত পৎযুগাম্ভোজ, [২] -দিবিজদ্, [৩] -লীনাম্ব- (লীনামু-), [৪] -ষটুপদং, [৫] -ভূগ্ধমতাধ্বৱে, [৬] নৰতি, [৭] -নায়ণঃ ('ৰা' অংশ ফলিৰ ওপৰ ভাগত লিখা আছে।), [৮] -সাস্ত্ৰ-, [৯] প্ৰপূন্নো, [১০] -নিসেনিসেবিতাঙ্ঘ্ৰিঃ, [১১] -প্ৰীৰ্ব্, [১২] স্রুতকৌসিকস, [১৩] -সাস্ত্ৰাথ-, [১৪] (মন্তব্য যে লুপ্ত অ-কাৰক 'হ' কৰি লিখা হৈছে), [১৫] কামদেৱো?, [১৬] কৃতাত্ৰখন্ব্যো-, [১৭] -বিসাৰদঃ, [১৮] ('ৰি' বৰ অস্পষ্ট।), , [১৯] -ৱেদাখ-।, [২০] সাসনং

১২ পুৰন্দৰায়[২১] ৱিপ্রায় ভূপুটীনাং চ/তুঃশতম্[২২]।। ৮।।
নৃপাদেশাৎ সমাগত্য[২৩] দাদদী-শাসনং[২৪] দদৌ।
হাবুঙ্গাধি/

**দ্বিতীয় পৃষ্ঠা ঃ**

শাৰী
পতিঃ সোহপি ষষ্টিসংখ্যান্[২৫] দ্বিজানপি[২৬]।। ৯।।
২ সমৰ-সুমতি-হেতু-/প্রীত-সন্মিত্র[২৭]-পক্ষঃ।
পৰ-গণ-হৃদয়ৌঘোদ্ভেদ-দুৰ্যুদ্ধ[২৮]-দক্ষঃ।। ১০।।
৩ নিজ-কুল-কমলৌঘোদ্বোধ[২৯]-মাৰ্ত্তণ্ড-ধামা।
৪ জয়তি সমৰসিংহঃ[৩০] শ্ৰীবৃহৎপাত্ৰনা/মা।। ১১।।
আষাঢ়স্য[৩১] দশম্যাস্ত[৩২] শাসনং[৩৩] নৃপতিৰ্দ্দদৌ।
৫ মন্বন্তৰাখ্যে[৩৪] শাকে[৩৫]/চ শূণ্য[৩৬]-বাণাগ্নি-চন্দ্ৰকে।। ১২।।
৬ পূৰ্ব্বে সীমা ৱটো[৩৭] জ্ঞেয়ো[৩৮] দক্ষিণে মা/ৎস-নিস্তকঃ।
পশ্চিমে মদকাৰস্তু[৩৯] প্ৰধানমালমূত্তৰে।। ১৩।।
৭ ৰত্না/কৰো গয়াপাণিঃ ৱিপ্ৰো দ্বৌ সান্দ্ৰ-সৎযুতৌ।
৮ পদ্ম-নবিন-মণি-ঠা/নাৰঃ তস্য ভ্ৰাতৰঃ।। ১৪।।
মদ্দত্ত-শাসনমিদং[৪০] পালয়েদ্[৪১]যো মহীপতিঃ।
৯ স তিষ্ঠ/তু চিৰং স্বৰ্গে তত্ৰাপি[৪২] নৃপতিঃ স চ।। ১৫।।
১০ যস্তু লোভ-সমাৱিষ্টো মম কীৰ্ত্তিং[৪৩] ৱিলুম্প/তি।
স তিষ্ঠতু চিৰং ঘোৰে নৰকে[৪৪] চাপুনৰ্ভৱে।। ১৬।।
১১ স্বৰ্ণকাৰ-কৃষ্ণ-সাধু-নাম্না/কুশল[৪৫]-কৰ্ম্মণা।
লিখিতা দান-কাম্যয়া[৪৬] নৃপাদেশেন[৪৭] সত্বৰম্[৪৮]।। ১৭।।

[২১] পুন্দৰায়, [২২] ভুপুৰীতং চতুঃসবং, [২৩] 'গত্য' অংশ অস্পষ্ট হৈ পৰিছে), [২৪] দাদডীসাসনং, [২৫] সাস্তিসংথান (?), [২৬] দ্বিজান্নপি, [২৭] প্ৰীতি-সন্মিত্ৰ, [২৮] -দুৰ্যদ্ধ-, [২৯] -কলৌঘোদ্বোধ-, [৩০] -সিহঃ, [৩১] আসাঢস্য, [৩২] দমস্যাস্ত, [৩৩] সাসনং, [৩৪] মন্বন্তৰাক্ষে, [৩৫] সাকে, [৩৬] সূন্য-, [৩৭] বৎট্গো, [৩৮] দ্ধেয়ো, [৩৮] ৱৰ্ত্ম জ্ঞেয়ম্, [৩৯] ('দ'টো যুক্তাক্ষৰ যেন লাগে; কিন্তু ই অস্পষ্ট।), [৪০] -সাসনমিদং, [৪১] পালয়েৎ, [৪২] মাপি, [৪৩] কীৰ্তিম্, [৪৪] নকে, [৪৫] কুযল, [৪৬] ডানকাম্যদ্বা। দানকাম্যাদা ?, [৪৭] নৃপাদেন, [৪৮] সত্বৰং, [৪৯] 'কৰ্ণ', 'প্ৰপূৰ্ণো', 'স্বৰ্গ', 'স্বৰ্ণ', শব্দৰ ণ, গ বোৰ দ্বিত্বভূত। কোনো কোনো শাৰীৰ শেষত আৰু ক'ৰবাত মাজতো অযথা বিৰাম-চিন (।) দেখা যায়। তাৰ হিচাপ ইয়াত লোৱা হোৱা নাই।



**অনুবাদ ঃ**

ওঁ গণপতিক নমস্কাৰ।।

মনোবাঞ্ছা-পূৰণৰ উদ্দেশ্যে গণেশৰ পদ-যুগলৰ কমলত বন্দনা কৰোঁ, যি কমলৰ মধুকৰৰ লগত সেৱক দেৱ-বৃন্দৰ শিৰ লীন গৈ আছে।। ১।।

ৰজাসমূহৰদ্বাৰা অৰ্চিত, আৰু কামদেৱ আৰু লক্ষ শত্ৰুৰ বিৰুদ্ধে বিজয়ী শ্ৰীৰত্ননাৰায়ণ নামে এজন ৰজা হৈছিল কমতাপুৰত।। ২।।

তেওঁৰ পুত্ৰ নিজ বাহু-বলেৰে ৰজাসমূহক জয় কৰোঁতা, মহান, দানত কৰ্ণৰ সমান, বিবেকৰ সাগৰ শ্ৰীধৰ্মনাৰাণ।।৩।।

তেওঁৰ আত্মজ সকলো শাস্ত্ৰ-বৰ্ণিত গুণেৰে পূৰ্ণ, ভূপালসমূহৰ শিৰৰদ্বাৰা নিষেৱিতচৰণ, গজপতি, প্ৰণত লোকৰ সুখ-প্ৰদায়ক, পৃথিৱীতে দুৰ্লভ শ্ৰী নাৰায়ণ চিৰজয়ী হওক।। ৪।।

শ্ৰুত-কৌশিকৰ পুত্ৰ, বেদ-শাস্ত্ৰাৰ্থৰ মৰ্মজ্ঞ, (ব্ৰাহ্মণৰ অধ্যয়ন-অধ্যাপন, যজন-যাজন, দান-প্ৰতিগ্ৰহ, এই) ছটি কৰ্মত নিৰত আৰু শুচি নীলাম্বৰ নামে জনাজাত।। ৫।।

তেওঁৰপৰা হ'ল কাৰ্ৎস্নদেৱ নামৰ ধৰ্ম-ৰত, যম আৰু মনুৰ বিহিত নীতিশাস্ত্ৰজ্ঞ, ধৰ্মশাস্ত্ৰ বিশাৰদ ব্ৰাহ্মণ।। ৬।।

তেওঁৰপৰা হ'ল পুৰন্দৰ বিপ্ৰ হৰি-পৰায়ণ; দ্বিজ-শ্ৰেষ্ঠ; কাতন্ত্ৰ ব্যাকৰণ, স্মৃতি আৰু বেদাৰ্থৰ তত্ত্ববিদ; আৰু নিত্য-কৰ্ম্ম-কাৰী।। ৭।।

সিগৰাকী ৰজাই স্ৰ্ব-প্ৰাপ্তিৰ কামনাৰে পুৰন্দৰ বিপ্ৰক প্ৰীতিপূৰ্বক চাৰি শ ভূ-পূটি (পুৰা) পৰিমাণৰ এক শাসন দান কৰিলে।। ৮।।

হাবুঙ্গ প্ৰদেশৰ অধিপতিজনেও নৃপতিৰ আদেশ পাই আহি দান-স্বৰূপ (এই) শাসন দিলে। ষাঠিজন ব্ৰাহ্মণো (পাইকৰূপে) দিলে। যুদ্ধত সুবুদ্ধি প্ৰদৰ্শন কৰি সৎ মিত্ৰপক্ষক সন্তুষ্ট কৰোঁতা, শত্ৰু-সৈন্য-দলৰ হৃদয়সমূহ ভেদ কৰিব পৰা দুৰ্ঘোৰ যুদ্ধ-দক্ষ, আৰু নিজ-বংশ-স্বৰূপ কমলসমূহ বিকশিত কৰা সূৰ্যৰ দৰে তেজস্বী শ্ৰীবৃহৎপাত্ৰ নামৰ সেই সমৰ-সিংহৰ জয় হওক।। ৯-১১।।

(এই) মন্বন্তৰত তাৰে শূণ্য-বাণ-অগ্নি-চন্দ্ৰ (অৰ্থাৎ ১৩৫০) শকত আহাৰ মাহৰ দহ তাৰিকে নৃপতিয়ে এই শাসন দান কৰিলে।। ১২।।

(দত্ত ভূমিৰ) পূবে সীমা বৰ গছ বুলি জানিব; দক্ষিণত মাৎসনিস্তক (?), পশ্চিমত মদ্যকাৰ আৰু উত্তৰত প্ৰধান আল (আলি)।। ১৩।।

ৰত্নাকৰ আৰু গয়পাণি (পুৰন্দৰেৰে) ঘন সম্পৰ্ক থকা দুজন ব্ৰাহ্মণ; পদ্ম, নবিন মণি আৰু ঠানৌ তেওঁৰ (পুৰন্দৰৰ) ককাই-ভাই।। ১৪।।

যিজন ৰজাই মই দান কৰা এই শাসন প্ৰতিপালন কৰিব, তেওঁ চিৰকাল স্বৰ্গত বাস কৰোক; তাতো আকৌ তেওঁ ৰজা (হৈ থাকোক)।। ১৫।।

যিজনে-পৰবশ হৈ মোৰ এই কীৰ্তিৰ বিলোপসাধন কৰিব, তেওঁ যেন অক্ষয় নৰকত চিৰকাল বাস কৰোক।। ১৬।।

দান আগ কৰা নৃপতিৰ আদেশত ততালিকে স্বৰ্ণকাৰ কৃষ্ণ সাধু নামৰ কুশলকৰ্মাৰদ্বাৰা (এই তাম্রপত্ৰিকা) লিখিত হ'ল।।

উৎস আৰু বিস্তৃত বিৱৰণৰ বাবে চাওক ঃ মহেশ্বৰ নেওগ, 'সদিয়া-চেপাখোৱা তাম্র-পত্ৰ ১৩৫০ শক', **সংজ্ঞা**, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, পৃঃ ৯১-১০১।



## *মুক্তা ধৰ্মনাৰায়ণৰ পায়া তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাচীৰৰ লিপি (১৩৬৪ শক/১৪৪২ খ্ৰীঃ)*

শিৰ-চৰণ-প্ৰসাদাত(দাৎ) বৃদ্ধৰাজতন-
য়-শ্ৰীমত-মুক্তাধৰ্মনাৰায়ণেন
শ্ৰীশ্ৰীমতী(ত্যা) দিগ(ক্)ৰবাসিন্যা ইষ্টকা-
দি-ৰিৰচিত-প্ৰাকাৰ-নিৰদ্ধঃ কৃ-
তঃ।। আগ্ৰহায়ণিকে শক ১৩৪৬।।

**ভাৱাৰ্থ ঃ**

'১৩৬৪ শকৰ আঘোণত বৃদ্ধ ৰজাৰ পুত্ৰ শ্ৰীশ্ৰীমান মুক্তাধৰ্মনাৰায়ণৰ দ্বাৰা শ্ৰীশ্ৰীমতী দিক্কৰবাসিনীৰ (অৰ্থাৎ কেঁচাইখাঁতী তাম্ৰেশ্বৰী গোঁসানীৰ) ইটা আদিৰে প্ৰাকাৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল।'

---

উৎস -ড° মহেশ্বৰ নেওগ, 'বৰমূৰ্তিয়া-বিল তাম্রপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, ২য় বছৰ, ২য় সংখ্যা, জুলাই, ১৯৭৬, পৃঃ ৯২-৯৩।

## *ধীৰনাৰায়ণৰ ঢকুৱাখনা কোঁৱৰ গাঁও তামৰ ফলি*
## *(১৪৪৪ শক/১৫২২ খ্ৰীঃ)*

**ফলিৰ পাঠ ঃ**

১ ......
২ /কং সৰ্ব্ব বিঘ্নোপশান্ত্যৰ্থং নমস্যে ফলিকা কৃতৌ।। ১।।
৩ বিযুৎস্ব ব/ংশাদ অথশালী (অস্ত্ৰশালী?)
যন্বাদ নাৰায়ণ নাম আসীৎ
৪ নিজোজসা /নিৰ্জ্জিত বৈৰি বাৰঃ
পাতা সতাং ধৰ্মধনো মনীষী।। ২।।
৫ তৎসুনুৰভৱদ্ধী /মান নৃপতি পতিৰূপকঃ।
পুৰন্দৰ ইতিখ্যাত ঃ নৃপতাত গুণাকৰঃ।। ৩।।
৬ ত/জ্জঃ সধেয়াধিপতি ওঁ (শ্ৰী) বিষুঃ
শ্ৰীধীৰনাৰায়ণ নামধেয়।
৭ প্ৰচণ্ড দোঁ /দণ্ড ধৃতামুজালো
বিজিত্য দশপ্ৰেষসা (?) সহন্বীং।। ৪।।
৮ কৌশিকান্বয়জো বিদ্বা /ন বামদেৱ ইতিশ্ৰুতঃ।
তস্মাৎ যুধিষ্ঠিৰো জাত ঃ ষটকৰ্মনিৰত ঃ সুধী ঃ।। ৫।।
৯ /তস্যাত্নজ ঃ সজ্জন ৰঞ্জনো পুৎ
ৰস্মীকৰাখ্য ঃ স্বগুণৈ ৰূপতেঃ।
১০ নৃ/পস্যদত্তা হিপুৱাল মেকং
প্ৰজাৰিতং ভূমি খণ্ডঞ্চতেন।। ৬।।
১১ বল/ন্কণ্ডানস্থ সমৃদন্তাহতিঃ সহিতায়চ।
১২ ৰস্মীকৰায় বিপ্ৰা/য় নৃপঃ প্ৰাদাচ্চ শাসনম।। ৭।।
১৩ গজ হস্ত প্ৰমাণেন সহস্ৰ পুট্টকৈ/স্মিতং।
আদলিক ঃ কাববোদ্ধ পেট্টয়াখৎ ঃ সুধাৰ্ম্মিক ঃ।। ৮।।
১৪ /সীমা নিৰ্ণয়কৰ্ত্তা ভূঃ নৃপাদেশাদ্যথাক্ৰমম্



১৫ পূৰ্বস্যান্দণ্ডীবৰীবিন্ধ ঃ পৰ্ক্কটী দক্ষিণে স্থিতঃ।
১৬ খশীত্ত পশ্চিমে দে/য়ামম্বে সম বান্ধকাষা
তথোত্তৰে।। ৯।।
।। শ্ৰী।। শক।। ১৪৪৪

**শ্লোকৰ সংখ্যামতে অনুবাদ ঃ**

... সকলো বিঘিনি নাশৰ বাবে নমস্কাৰ জনাইছোঁ। (ফলিৰূপ কৃতিলৈ)

বিযুৎস্ব বংশৰ যন্কাদ (যক্ষ্মাদ) নাৰায়ণ নামৰ ধৰ্মধন মনীষীয়ে নিজৰ পৌৰুষৰ দ্বাৰা সকলো শত্ৰুক পৰাজিত কৰি সৎ লোকক পালন কৰিছিল।

তেওঁৰ পুত্ৰ ধীমান-পতিৰূপ নৃপতি পুৰন্দৰ নামৰ পিতৃৰ অনুৰূপ গুণৰ অধিকাৰী আছিল।

তেওঁৰ পৰা জন্ম হোৱা সদিয়াৰ অধিপতি ওঁ (শ্ৰী?) বিষুও আছিল - শ্ৰীধীৰনাৰায়ণ, যিজনে প্ৰচণ্ড দুৰ্দণ্ড বাহুৰে সকলোকে পৰাজিত কৰি ৰাজ্যশ্ৰী লাভ কৰিছিল।

কৌশিক বংশত জন্ম হোৱা বামদেৱ নামেৰে খ্যাত বিদ্বান ষট্ কৰ্মত (অধ্যাপন, অধ্যাপনা, যজন, দান, প্ৰতিগ্ৰহ) ৰত ব্ৰাহ্মণৰ যুধিষ্ঠিৰ নামৰ এজন জ্ঞানী পুত্ৰ আছিল।

নিজ গুণেৰে সম্পন্ন, সৎলোকক আনন্দিত কৰা ৰস্মীকৰ তেওঁৰ পুত্ৰ আছিল।

বলাধ্যক্ষ আৰু ন্যায়পাল আদিৰ সাক্ষাতত ৰস্মীকৰ বিপ্ৰক ৰজাই এই শাসন প্ৰদান কৰিছে।

গজহস্ত প্ৰমাণেৰে সহস্ৰ পুটক পৰিমাণৰ মাটি আদলিক আৰু কাববো (কাবৰো? কাৰবো) নামৰ দুজন সুধাৰ্মিক পেট্টকে

ৰজাৰ আদেশত যথাক্ৰমে সীমা নিৰ্ণয় কৰিছে - পূবে - দণ্ডীবৰী বিন্ধ, দক্ষিণে - পৰ্ক্কটী (পাকৰী গছ), পশ্চিমে - খশীত্ত আৰু উত্তৰে - দেয়ামম্বে সম বান্ধকাষা।। শ্ৰী।। শক।। ১৪৪৪

---

উৎস - নিত্যানন্দ গগৈ, 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ঃ ১৪৪৪ শক' **সোনগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, গোগামুখ, ধেমাজি, নৱেম্বৰ, ২০০২, পৃঃ ১০৩-১০৭।

## পৰিশিষ্ট খ

### অৰুণোদাইত প্ৰকাশিত "চুতীয়া ৰজাৰ বংসাৱলি"

## ANCIENT CHRONICLE OF THE CHUTIAS

(Furnished by W. Robinson, Esq, Inspector of Governmet Schools in Assam)

অনেক দেসৰ লোকে আপোনাৰ ৰজা দেৱতাৰ বংস বুলি সিবিলাকৰ অৰ্থে জি ৰূপে অনেক উপ কথা গপ কৰি সাজি বুৰঞ্জিত সুমুআই লিখে, সেই ৰূপে চুটিয়াবিলাকেও আপোনাৰ ৰজাৰ বংসাৱলি বনালে। সিহঁতৰ এক পুৰনি বংসাৱলি পাই তলত লিখিচোঁ।

সদিয়া কোৰ্জকো দেসঃ চুটিকা বংস ভিৰ্ম্মোকাঃ
ধাতু দৃব্যে ত্বং লোভেন হদ্বাজন পদা দয়ঃ।।

পুৰ্বে ১১১১ সঁকত ভিৰ্মোক ৰজাৰ বংসৰ বিৰপাল নামে এক জন আচিল, তাহাৰ ভাৰ্জাৰ নাম ৰূপৱতি। দৈৱদোসত থাকি সোনাগিৰি পৰ্বতৰ আগাৰিত প্ৰবেস হৈ তাতে ৬০ ঘৰ চুটিয়া আচিল; তাৰ ৰজা নাই, তাৰে মাজত প্ৰবেস হৈ কিচু দিন থাকি বিৰপালে গায়পাল নাম ললে। তাৰে আগ্যাৰে এই ৬০ ঘৰ চুটিয়া প্ৰবৰ্তি আচিল; তাৰ ভাৰ্জা ৰূপৱতিএ কুবেৰক উপসা কৰিচিল, পুত্ৰ কামনাই; এক দিন ৰূপৱতি মাকৰ ঘৰৰ পৰা আহোঁতে কুবেৰে বিৰবৰৰ বেস ধৰি তায়ে সৈতে সংসৰ্গ হল। পাচে কুবেৰে বিৰবৰক ৰাতি স্বপ্ন দেখালে; মোৰ বিৰ্জ্যে ৰূপৱতিৰ গৰ্ভত সুভ খ্যনে পুত্ৰ উপজিব, সেয়ে ৰাজ্যত ৰজা হব। তোৰ সমস্তো সম্পতি হব, ৰূপৱতিকো তই ন সপিবি, সষ্টমে ৰাখিবি, তয়ো সষ্টমে ৰবি। নতুন ঘৰ কৰি ৰূপৱতিক থবি, জি গচৰ তলত ফাগুনৰ ক্ৰিস্না চতুৰ দসিত দেও কৈ মোক উপসা কৰ। কাইলৈ প্ৰাতহ কালে সেই গচৰ তললৈ জাবি, জি বস্তু পাৱ, তাকে সেৱা কৰি থাকিবি; জি কালত অনাদৰ পৰহস্ত হই, সেই কালত তোৰ পুত্ৰৰ চত্ৰ ভঙ্গ হব, ৰাজ্যকো পৰে লব, দেসান্তৰি হব; গচৰ তলত পোআ দ্ৰব্যেৰে মোৰ পুত্ৰে অনেকক জুধ কৰি মাৰি ৰজা হব; এই বুলি কুবেৰ অন্তধ্যান হল। পাচে বিৰবৰে চেতন পাই অদভুত হেন জানি প্ৰাতহতে সেই গচৰ তললৈ গল। তাতে ঢাল খৰ্গ এজোৰা, সেই ঢালৰ তলতে সুবৰ্নৰ বিৰালি এটি পালে। সমস্তকে আনি বিৰবৰে জতন কৰি থলে, সেই দ্ৰব্যতে বিৰবৰে পূজা কৰি আচিল; ঘৈনিএককো নিয়ম পুৰ্বকে জতন কৰি থলে। দহ মাহৰ অন্তে সুভ খ্যনতে পুত্ৰ জন্মিল, নাম থলে গৌৰি নাৰায়ন। পঞ্চম বচৰৰ পৰা বল পৰাক্ৰম বাৰ্হি গল, সমস্তকে বসবৰ্তি কৰিবলৈ ধৰিলে। সেই ৬০ ঘৰ চুটিয়া সহিতে ৰাঙ্গলগুৰি পৰ্বতত জি চুটিয়া আচিল, তাকো জুধ কৰি ললে। কালগিৰি পৰ্বতত জি



চুটিয়া আচিল, তাকো দমিলে; নিলগুৰি পৰ্বতত জি চুটিয়া আচিল, ধৱলগিৰি পৰ্বতত জি খনি আচিল, চন্দ্ৰগিৰি পৰ্বতত জি চুটিয়া আচিল, তাকো বস কৰিলে; কুবেৰৰ অস্ত্ৰ লৈ জি দিসে সমুখ হই, অনাজুধে মিলেহি। এই দৰে সমস্ত পৰ্বতৰ চুটিয়াকে বস কৰি, পাচে ৰত্নধ্বজ পাল নাম ললে। কুবেৰৰ প্ৰসাদং সমস্ত সম্পুৰ্ণ হল; চত্ৰ ধৰি ৰজা নাম ললে। ১১৪৬ সঁকত সোণাগিৰি পৰ্বতত ৬০ ঘৰ চুটিয়াক পাত্ৰ মন্ত্ৰি পাতি সকলো সহিতে জুগুতি হৈ, ভদ্ৰসেন নামে জি এক ৰজা আছিল, তাৰ দেস লবলৈ গল। ভদ্ৰসেন ৰজাৰ স্বেতগিৰি পৰ্বতত নগৰ, তাক মাৰি অনেক দ্ৰব্য পালে; দৈবগ্য, তাঁতি, সোনাৰি, ব্ৰাহ্মন, সুতাৰ কমাৰ, অনেক বিদ্যাৱন্ত পালে। ভদ্ৰসেনৰ পুত্ৰক কৰতলিয়াকৈ ৰাখিলে; ৰত্নধ্বজ পালে নগৰ কৰি ৰত্নপুৰ নাম দিলে, ৰাজ পুত্ৰটিকো পুত্ৰৱতে প্ৰতিপাল কৰি ৰাখিলে। পাচে ন্যাই পাল ৰজাৰ দেস মাৰিবলৈ গল; ৰজা সুনি জুধক সমুখ হল। এতেকে কুবেৰে স্বপ্ন কৰালে, বোলে, মোক যদি জুধ কৰি জিনিব পাৰ, এতেকে ৰত্নধ্বজ পালৰ সমুখ হবি। ৰত্নধ্বজ পালক মোৰ পুত্ৰ হেন জানিবি, সমস্তৰে কুসলক সাধিব। পাচে ৰজা চেতন পাই, পাত্ৰ মন্ত্ৰিৰে আলচ কৰি, চুটিয়া দেসৰ ৰজা সুদা লোক ন হই, অনেক অনেক দেস মাৰি ললে, ৰজা সকলকো বস কৰি ললে; এই বুলি বোল মাত কৰি থকাত, ৰত্নধ্বজ পালে ন্যাই পালৰ ঠাইলৈ সুধি পঠালে, জুধকে ইচা কি প্ৰিতিকে ইচা? ৰজাৰ প্ৰিতিএই সাধন, আকে চাই জি বোলে তাকে কৰিম। ৰত্নধ্বজ পালে বোলে, আমালৈ কন্যা দি মিত্ৰ কৰক। ন্যাই পালে বোলে, ৰজাৰ কন্যা ৰজাহে ভোগ্য, ভাল কন্যা দিম। কন্যা দি মিত্ৰ কৰিলে, কন্যাৰ লগত অনেক জৌতক, দেসৰ অনেক কাৰিকৰি বিদ্যাৱন্ত দিলে; জৌতক সমনিতে সালংক্ৰিতা বিবাহ দিলে। পাচে কতো দিনৰ অন্তৰে ৰত্নেস্বৰি মহিসিৰ হন্তে বিজয়াধ্বজ নামে পুত্ৰ জন্মিল। বিজই মন্ত্ৰিত কৈ কমতেস্বৰ মন্ত্ৰিৰ কন্যা খুজি পঠালে; কমতেস্বৰে বোলে, তহঁতক কন্যা দিব নোৱাৰোঁ; জদি ৰজা আহি নিএ, তেহে দিব পাৰোঁ। ৰত্নধ্বজ পালে এই কথা সুনি মন্ত্ৰিৰে আলচি আমি আনিব নোআৰোঁ বুলিহে এই কথা বুলিচে, নিয়াই পাল ৰজাত কৰি কমতেস্বৰ ৰজা ডাঙ্গৰ নি কিন? এই বুলি বিজয়াসেন মন্ত্ৰিক ৰজা পাতিলে। ই ঠাইৰ পৰা কমতেস্বৰ ৰজাৰ তলৈ আলি বান্ধি এক দিনৰ অন্তৰ কৰি তাহাতে বহা বান্ধি নগৰ কৰিব দিলে। পাত্ৰ মন্ত্ৰি অনেক লগত লৈ হাবি পৰ্বত কাটি আলি বান্ধিলে। আলি বান্ধি ৰজাৰ ৰাজ্য পালেগৈ, কুবেৰৰ প্ৰসাদত সমস্তৰে সাজ পাৰ হল, নগৰ ৰাখি মন্ত্ৰি থাকিল, মানুহ পঠাই ৰজাত জনালে। ৰজা ৰত্নধ্বজে জয়ধ্বজ মন্ত্ৰিক নগৰত থৈ জাত্ৰা কৰি কমতেস্বৰ ৰজাৰ দেসলৈ গল। পাচে কমতেস্বৰ ৰজা বোলে, পৰ্বত হাবি ভাঙ্গি ই ঠাইলৈ আহিব নোআৰিব, এই বুলিহে এই কথা বুলিলোঁ; জানিলোঁ, এই কৰম সামান্য সক্তি ন হই; এই বুলি বিস্মই হৈ মন্ত্ৰি সহিতে আলচি কন্যা জৌতক সহিতে লৈ ৰজাৰ নগৰ জত কৰিচে, সেই নগৰলৈকে গল, কন্যা সমৰ্পন ৰত্নধ্বজ ৰজাকে কৰিলে।

তাত পাচে ৰত্নধ্বজ পাল ৰজা গৌৰৰ সমুখ হৈ দুই দিনৰ পথত ৰহিলে। পাচে ৰজা ৰত্নধ্বজ জাবৰ সুনি মন্ত্রি বৰ উজিৰক পঠালে, ৰাজ জোগ্য বস্তু দিলে, ৰত্নধ্বজ পালক সুধিব দিলে, পুৰ্ব্বৰ ৰজা সকলে বিজয়কে বাঞ্চা কৰি ফুৰিচিল, মিত্রতাকো বাঞ্চে, এতিয়া ৰজা কোন খানি বাঞ্চে? এই কথা সুনি ৰজা বোলে, কমতেস্বৰ ৰজা জি মিত্র ভাও কৰিচে, তাতো অধিক মিত্র ভাও বাঞ্চা কৰোঁ, এই বুলি মন্ত্রি বৰ উজিৰত কৈ পঠালে। ৰত্নধ্বজ পালেও গৌৰৰ পাসৰ এই বাক্য সুনি বিজয়াসেন মন্ত্রিত সুধি, কমতেস্বৰ ৰজাত কৰিও মিত্রতা বাঞ্চা কৰিচোঁ, কি কৰিলে নো তাত অধিক মিত্রতা ঘটিব? বিজয়াসেন মন্ত্রি বোলে, সখিও কৰিলে ভাল। পাচে ৰত্নধ্বজ ৰজা বিজয়াসেন মন্ত্রিক ৰাজ জোগ্য দ্রব্য দি গৌৰৰ ৰজাৰ ঠাইলৈ পঠালে। বিজয়াসেন মন্ত্রিক বঁটা দি সন্তোস কৰি, ৰজা ৰত্নধ্বজৰ ঠাইলৈ মন্ত্রি বৰ উজিৰ সহিতে ৰাজ জোগ্য দ্রব্য বস্তু দি সন্দেস পত্র পঠাই দিলে, বোলে ৰত্নধ্বজ পাল ৰজা সহিতে সখিও কৰিলোঁ; তেঁওৰ বাত্রা আমি লম, আমাৰ বাত্রা লব, আৰু সখি স্নান কৰিবলৈ ৰোজ সাত ঘঁটি গঙ্গা জল দি থাকিম; আৰু ইত্যাদি চল কৰ সৰ্বত্রে হব, আমালৈ পৰসু কুঠাৰৰ জল দিব; এই নিৰ্বন্ধ কৰি বিজয়াসেন মন্ত্রিক পঠালে। বিজয়াসেন মন্ত্রি সহিতে মন্ত্রি বৰ উজিৰ আহিল, ৰত্নধ্বজ ৰজাৰ ঠাইলৈ। ৰজা সুনি পৰম সন্তোস হৈ, মন্ত্রি বৰ উজিৰক বঁটা প্রদান দি বিলাই দিলে। ৰত্নধ্বজ পালে এই নিৰ্বন্ধ কৰি আপোন দেসলৈ আহিল; পাচে কতো দিনৰ অন্তৰে সিন্ধু খেত্রত মঠ কৰিবলৈ গল ৰজা ৰত্নধ্বজ। সেই বেলা গৌৰচেৰ বেটা ৰত্নধ্বজে ৰজাৰ ঠাইলৈ পঠালে; ৰজাও গৌৰ দেসৰ যি অপুৰ্ব বস্তু, তাকো দি পঠালে। কত দিনৰ অন্তৰে ৰত্নধ্বজ পালেও বহু দ্রব্য দি পঠালে। পাচে পৰম সন্তোসে সখি পুত্রক পৰম চেনেহ কৰি আপোন পুত্র হেন কৰি ৰাখিলে। দৈব্যদোসত থাকি ৰাজ পুত্র মৃত্যু হল; পাচে মহা অসন্তোস কৰি বোলে, কৰম ক্রিয়া এখেতে কৰিব পাৰোঁ; সখি ৰজা কোন খানি বোলে? দেসৰ নিৰ্বন্ধে কৰম ক্রিয়া ততে কৰিব, এই নিচই কৰি দ্রব্য বস্তু লগত দি চুটিয়া দেসৰ পৰা পঠালে; ৰজা সিন্ধু খে ত্রত ঘৰ লবলৈ গৈচিল। সেই বেলা ৰাজপুত্রৰ স লৈ পালেগৈ; এতেকে নাম থাকিল সদিয়া পাট। ৰত্নধ্বজ পালৰ পুত্র বিজয়াধ্বজ পালক ৰজা পাতি সিন্ধু খে ত্রত প্রান এৰিলে।

ধিৰ নাৰায়ন ৰজা অপুত্রক আছিল। পুত্র কামনাই দেৱতাক আৰাধন কৰোতে কিছু দিন থাকি এটি কন্যা জন্মিল, কন্যাৰ নাম থলে সাধনি। পুনৰ দেৱতাক আৰাধন কৰাতে পৰে পুত্র জন্মিল, তাহাৰ নাম থলে সাধক নাৰায়ন। পৰে কন্যাৰ জোগ্য জামাতা নো পোআাত ৰজা প্রতিগ্যা কৰিলে, কালি প্রাতসে মোৰ মুখে জি বাক্য হই, সেই বাক্যক জি জনে পালিব পাৰে, সত্য কৰি সাধনি কন্যাক বিবাহ দিম। তাৰ পৰ দিন প্রাতসতে ৰজা বালোআত বহাতে, সেই বা লোআৰ আগতে এক গচত কেৰকেতুআ দেখি সকলো লোককে কাঁৰেৰে মাৰিব দিলে; কোনোএ কাঁৰ লগাব নোআৰিলে। ৰজাই



বোলে, কেৰকেতুআত জি কাঁৰ লগাব পাৰে, সত্যে সাধনি কন্যাক তাকে দিম। পাচে সামান্য চুটিয়াৰ লৰা এটিএ কাঁৰ লগালে। সত্য অঙ্গিকাৰ ৰাখি ৰাজ কন্যা দিবৰ ইচা কৰিলে। কন্যাই সুনি বোলে, মই সামান্যত কিয় বিবাহ সোমাম? পাচে ৰজা বোলে, মোৰ প্রতিগ্যা ৰখ্যা কৰ। কন্যা বোলে, মই জি খোজোঁ, তাকে সত্য কৰি দিম বোলা। ৰজা বোলে, সত্য কৰি দিম, জেই খোজা। ঐ খানি নিচই কৰি সেই চুটিয়াৰ লৰাটিকে প্রাচিত কৰাই সাধনি কন্যাক বিবাহ দিলে। তাত পাচে সাধনি কন্যাই বোলে, মই তোমাৰ অঙ্গিকাৰ ৰাখি সামান্যতে বিবাহ সোমালোঁ; মোক জি দিবলৈ অঙ্গিকাৰ কৰিচিলা; তাকে দি অঙ্গিকাৰ ৰাখা। ৰজা বোলে, মোৰ পুত্র দুহিত্রি দুইত কৰি কোন আচে? তহঁতকেই সকলো ভাল দিম। কন্যা বোলে, জদিবা তোমাৰ পূজা কৰা সোনৰ পেৰাটিত যি আচে, তাকে দিয়া মোক। ৰজা বোলে, মই বচনতে ঘাটিলোঁ, তোৰ ভায়েৰলৈ কিচু নে থাকিল, তয়ো সেই দ্রব্য নি বহুত দিন খাবলৈ নেপাবি; নি দিবই পাৰোঁ, নি দিলে সত্য ভ্রষ্ট জাই; দিলে সকলো ৰাজ্য ভাৰ জাই; পৰে জি হওক, সত্যকেহে ৰাখিব লাগে।

নিজ সত্য ভবিস্যতি পশ্ছাত্ সন্ধি কৰিস্বতিঃ।।
বিস্বনেত্র ৰসেচন্দ্রে হেমন্ত কাল আগতে।।
তাল জঙঘা মহা ম্লেচ্ছা অব্যৰ্ম্মং দ্বৰা পদং।।

এই বুলি ৰজা সোনৰ পেৰাটি সহিতে ৰজা ক্রন্দন কৰি পুজা ঘৰৰ পৰা পেৰা সহিতে সুবৰ্নৰ বিৰালিটি দিলে। ৰজাৰ জিএ জেতিয়া পেৰাটি হাতত লৈ মেলি চালে; তেতিয়া সোনৰ বিৰালি অদ্রিস্য হল, দেখা নে পাই ৰজাৰ জি কান্দিব ধৰিলে, সোনৰ বিৰালি পৰহস্ত হোআতে ৰজাৰ স্রিনষ্ট হল; চুটিয়াৰ লৰাটিতে ৰাজ লখ্মি লগ ললে। পাচে ৰজাৰ জিএ সোনৰ বিৰালি নে পাই অসন্তোস ক্রন্দন কৰাতে গিৰিএকে বোলে, তুমি দুখ ন কৰিবা, মই সোনৰ বিৰালি গৰাই দিম। এই বুলি সোনৰ বিৰালি গৰোআই সেই পেৰাতে জতন কৰি থলে। তাত পাচে ধিৰ নাৰায়ন ৰজা ৰাজ্য ভাৰ এৰি জামাতাক জুব ৰাজ পাতি আপোন পুত্র ৩ বচৰৰ সিসু সাধক নাৰায়নক তাৰ হাতে সমৰ্পনা কৰি, ৰাজ মহিসি সহিতে অৰন্যক গল। সিন্ধু খে ত্রত বিষ্টো উপাসি প্রান তিয়াগ কৰিলে। জুব ৰাজে বিচাৰ কৰি নে পাই, ৰজা হৈ নিত্য পাল ৰজা নাম ললে। পুৰ্ব্বৰ পাত্র মন্ত্রিক গুচাই সামান্যৰ পাত্র মন্ত্রি পাতি ললে। দেসৰ দোস গুন বিচাৰ ন কৰি প্রজা লোকক দণ্ড বন্ধ কৰিব ধৰিলে; পুৰ্ব্বৰ নিতিক এৰি প্রৰ্বতে; এতেকে সকলোএ অনিত্য পাল বুলিব ধৰিলে। ৰাজ চৰ্চা এৰি মাচ পহু মাৰি ফুৰে, আলি বান্ধি পুখুৰি খানি ফুৰে। জি সময়ত চুটিয়া ৰজা আলি বান্ধি পুখুৰি খানিছিল, সেই বেলা স্বৰ্গি ৰজাৰ ফুচেঙ্গমুন বৰ গোহাঁয়ে সৰু দিহিঙ্গিয়া ৰজাত জনালে। চুটিয়াৰ দেস মাৰিলে অনেক ব্রিতি পাই, এই বুলি জনোআত পাত্র মন্ত্রিৰে আলচ কৰি সৈন্য সেনা জুধাৰু লৈ সদিয়াৰ চুটিয়াৰ ৰজাকে জুধ দিলেগৈ। চুটিয়াৰ নিত্য পাল ৰজায়ো আপোন দেসৰ পাত্র মন্ত্রিৰে আলচ কৰি জুধৰ সমুখ হল।

চন্দ্রগিৰি পর্বতৰ নিকট জুধ পাতিলে; কুবেৰৰ দত অস্ত্র লৈ জুধত প্রবেস হল; লুকি স্থিত ই পুনৰ দ্রিস্য হৈ স্বর্গি ৰজাৰ সৈন্য মাৰে; সেই কাৰনে তাহাকো চন্দ্র নাৰায়ন বোলে। সেই চুটিয়া ৰজা চন্দ্রগিৰি সিখৰত উঠিল, বাজু পাতি জুধ দিলে। স্বর্গি ৰজাই খেদি ভৈয়ামত সৈন্য মাৰি পর্বতত তুলিলেগৈ, চুটিয়া ৰজাৰ সৈন্য ভাগিল। ৰজাৰ ১২০ কুঁঅৰিএহে সিলা কোঁচাই ৰজাই হাতত দিএ, ৰজা অবিচেদে মাৰে, স্বর্গি ৰজাৰ সৈন্যত পৰি পৰি মৰে। ফুচেঙ্গমুন বৰ গোহাই মন্ত্রনাকৈ ঘিলা গচত বগোআই পর্বতৰ ওপৰত ঢুলিআক ঢোল বজাব দিলেগৈ; স্বর্গি ৰজাৰ আগ্যাৰে পর্বতত উঠি ঢোল বজালেগৈ। ৰজাই বোলে, মোকে পাচ ভেঁটি সৈন্য পালেহি; অদভুত স্রুতি হত হৈ সাধনি মহিসিক হাতত ধৰি পর্বতৰ স্রিঙ্গৰ পৰা ডেও মাৰি জুৰিত পৰি মৰিল। ফুচেঙ্গমুন বৰ গোহাঁয়ে ৰজাৰ হাৰ মুৰ বিচৰাই নে পালে। ৰজা বোলে, বৰ গোহাঁই বিচাৰ কৰ। ত্যাওহুঙ্ নেওগে ৰজাত জনাইচেগৈ, জুধ জই; স্রী স্রী স্বর্গি ৰজাৰ সদিয়া প্রাপ্ত। ১৫৯৮ সঁকে পুহ মাহে হস্তি প্রাপ্ত ২০৭, ঘোঁৰা ১০০, হিলৈ ১০০০, নৌকা ৭০০, প্রজা ধন ধান্য অপর্জন্ত লেখা নাই। মহ ৯০০, দৈবগ্যো, ব্রাহ্মন, তাঁতি, সোনাৰি, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ, দণ্ডচত্র, কেঁকোৰা দোলা, চৰা নাও, বৰচা ইত্যাদি আহিলা সকলোকে আক্রমন কৰি লৈ, ৫ বছৰৰ সাধক নাৰায়ন ৰাজ পুত্রকে সিসু বধ ন কৰি সদিয়াৰ সেই চুটিয়া দেসৰ ১২ ঘৰ মানুহ দি, কলিয়াবৰৰ কামাখ্যা পর্বতৰ বাহিৰ কৰি ৰৌতাৰ পচিম পাৰ, ধনসিৰিৰ পুব পাৰ, কবিৰ আলিৰ দখিন ব্রহ্মপুত্রৰ উতৰ পাৰে চৌহদ কৰি খুঁটা মাৰি তাম্র পত্র কৰি দিলে; মানুহ বাৰে ঘৰেৰে সহিতে প্রবর্তি, ৰজা চাঙ্গত বচৰে বচৰে মোহৰ ৰূপ ৮০ টকা, থঙ্গা ৪০ খন সোধাই প্রবর্তি থাকিবি। ইতি।।

| চুটিয়া ৰজাবিলাকৰ নাম | ৰাজৰ্ত | ভোগ | ম্রিত্যু |
|---|---|---|---|
| পুৰ্বৰ ৰজা গৌৰি নাৰায়ন, তাৰ নাম ৰত্নধ্বজ পাল, | ১১৪৬ | ৮০ | ১২২৬ |
| পুত্র সিৱ নাৰায়ন, তাহাকে বিজয়াধ্বজ পাল বোলে, | ১২২৬ | ৬১ | ১২৮৭ |
| পুত্র জগত নাৰায়ন, তাহাকে বিক্রমধ্বজ পাল বোলে, | ১২৮৭ | ৩৪ | ১৩২১ |
| পুত্র প্রমত নাৰায়ন, তাহাকে গৰুডধ্বজ পাল বোলে, | ১৩২১ | ৪৫ | ১৩৬৬ |
| পুত্র হৰি নাৰায়ন, তাহাকে সংখধ্বজ পাল বোলে, | ১৩৬৬ | ৪৪ | ১৪১০ |
| পুত্র গোলোক নাৰায়ন, তাহাকে মউৰধ্বজ পাল বোলে, | ১৪১০ | ৪১ | ১৪৫১ |
| পুত্র ব্রজ নাৰায়ন, তাহাকে জয়ধ্বজ পাল বোলে, | ১৪৫১ | ৪৮ | ১৪৯৯ |
| পুত্র সত্য নাৰায়ন, তাহাকে কর্মধ্বজ পাল বোলে, | ১৪৯৯ | ৫৪ | ১৫৫৩ |
| পুত্র ধিৰ নাৰায়ন, তাহাকে ধর্মধ্বজ পাল বোলে, | ১৫৫৩ | ৪৩ | ১৫৯৫ |
| মানস পুত্র অর্থাত জামাতা নিত্যপাল বোলে, ও সাধক নাৰায়ন | ১৫৯৫ | ২ | ১৫৯৮ |

উৎসঃ— অৰুণোদই ১৮৪৬-১৮৫৪, (সম্পাদনা) ড° মহেশ্বৰ নেওগ, গুৱাহাটী, অসম প্রকাশন পৰিষদ, ১৯৮৩, পৃঃ ৪৯৯।



পৰিশিষ্ট গ

## Paya Tamreswari (Dikkaravasini) Temple Inscription of Muktadharmanarayana, Saka 1364 (1442 A.D.)

(by D.C. Sircar, Journal of Ancient Indian History, Calcutta Vol., I, Part I&II, 1967-68, pp.17-21)

In the year 1958, when I was Government Epigraphist for India, Mrs. Debala Mitra, then Superintendent of the Estern Circle, Archaeological Survey of India, with headquaters in Calcutta, kindly sent me inked impressions of a small inscription which had been copie by her in the Tamresvari temple near Paya in the Lohit District (the former Lohit Frontier Division) in what was formerly the North-East Frontier Agency, but is now the State of Arunachal Pradesh. The inscription was noticed in the *Annual Report on Indian Epigraphy*, 1957-58, p. 56 (N0. B 389), where it was said that it "records the construction of a wall around the temple by Muktadharmanarayana and a lady who was possibly his wife." Unfortunately there is a mistake in the above statement as will be seen below.

The inscription is written in five lines in the Bengali-Assamese characters of the fifteenth century A.D. As expected, *ba* has been written by the sign for *va*. The palaeography of the epigraph is interesting In the first place, the letter *sa* has not been written in the modern Bengali-Assamese fashion so that the older Gaudiya form was popular in the age and area of the record. It is also interesting to note that the older form is used in the A.S.B. manuscript of the *Bodhicaryavatara*[1] copied in 1435 A.D. which,

[1] See **Journal of the Royal Asiatic Socoety of Bengal,** letters, Vol. iV, 1938, p. 375.

as will be seen below, is not for removed from the date of the present inscription. Secondly, the letter *ra* is not distinguished from *va* (or *ba*), though, in *viracita* in line 4, there may be a small slanting stroke near the lower left limb of the letter. We know that, in East India in the late medieval times, *ra* was sometimes written by the sign for *va* (and *ba*) with the addition of a dot outside the lower left limb or inside the triangle, the latter mark later developing into the cross-bar, in the Assamese form of the letter. Thirdly, the form of initial *i* in line 3 of our inscription is important since it stands midway between the form found in early medieval records like the Vangiya Sahitya Parisat plate of Visvarupasena (c. 1206-20 A.D.) and the A.S.B. manuscript of the *Pancarakya* (1289 A.D.) and the modern type noticed in later records like the manuscript of the Srikrsnakirtana.[2] Fourthly, the figure 3 in line 5 is not nearer its modern Bengali-Assamese form than its shape in the Vangiya Sahitya Parisat plate of Visvarupasena, which was issued about two centuries and a quater before the date of the present inscription.[3]

The epigraph, which is written in Sanskrit prose, is dated in the Saka year 1364 (1442 A.D.), the month being mentioned as Agrahayanika, i.e. Margasirsa, though the author's intention may have been to indicate the full moon of the month of Agrahayana or Margasiras.

The inscription records that, through the grace of Siva's feet, the doubly illustrious Muktadharmanarayana, who was the son of the *Vrddha-rajan*, effected the construction of the wall (*prakara-nibaddha*) of the doubly illustrious Digaravasini in bricks, etc., on the date quoted above. In the expression *prakara nibaddha*, the word *nibaddha* may be used in the sense of

---

2 See *ibid.*, p. 373. The manuscript of the **Srikrsnakirtana** is no doubt later than the 15th century. We do not agree with R.D. Benerji who considered it 'certainly not later than the 15th century' (*Origin of the Bengali script*, p. 89) and S.N. Chakravati who says, "the **Krsnakirtana** must be placed in the 15th century along with the **Bodhicaryavatara**" (*JRASB, op. cit.*, p. 367).

3 See Majumdar, **Ins. Beng.**, vol III, Plates facing pp; 140 and 144.



*nibandhana*, i.e. construction. *Virddha-rajan*, 'the old king', mentioned without disclosing his personal name, as the father of Muktadharmanarayana, seems to suggest that the prince was administering the State during the old age of his father. Both these rules are unknown to us, though they may be traced in local tradition. The said persons apparently belonges to the Chutiya ruling family of the Sadiya region, which was subdued by the Ahom king Suhungmung or Dihingia Raja (1497-1539 A.D.).[4] The Chutiya rulers claimed descent from king Bhismaka (father of Krsna's wife Rukmini) who ruled over Vidarbha (located in the Sadiya region in Assamese tradition) and had his capital at Kundina (located on the Kundil river at Sadiya).[5] There is a locality called Bhismakanagara a few miles from the site of the Tamreswari temple. It is diffcult to say whether the rulers mentioned in our record had thier headquaters there.

The name Digaravasini is no doubt the same as or a mistake for that of the goddess Dikkarvasini worshipped in the eastern frontier of medieval Assam. The late medieval work entitled *Yogini Tantra*[6] gives the boundary of Kamarupa first as -

*Nepalasya Kancan-adrim Brahmaputrasya sangamam*
/
*Karatayam samarabhya yavad - Dikkaravasinim //*

The four boundaries are given here as - (1) Mt. Kancana in Nepala, (2) the confluence of the Brahmaputra, (3) the Karatoya, and (4) Dikkaravasini (i.e. the temple of the goddess of that name).

The same information is supplied again, by way of elaboration, as follows -

*Uttarasyam Kanja-girih Karatoya tu pascime /*
*Tirtha-srestha Diksu-nadi purvasyam Girikanyake //*
*daksine Brahmaputrasya laksayah sangam-avadhih /*

---

4 Gait, **A History of Assam**, 1963, pp 87ff.

5 *ibid.*, pp. 16, 42-43.

6 See Patala XI; *Ep. Ind.*, Vol XII, p.68; Sirear, *The Sakta Pithas*, p. 13, note 1. Since the work mentions the Koe king Visvasimha (1496-1533 A.D.), it could not have been composed before the first half of the sixteenth century A.D.

*Kamrupa iti khyath sarva-sastreyu niscitah //*

Here we have the follows boundaries of the Kamarupa country - (1) Mt. Kanja (i.e. Kancana) in the north, (2) the Karatoya in the west, (3) the Diksu river in the east, and (4) the confluene of the Brahmaputra and the Laksa in the south.

The *Kalika Purana* (80.32ff) also says -

*tatah purve Kamarupam pitham le jagatam prasuh /*
*jaganmayi Mahamaya devi Dikkaravasini // ...*
*pranle Dikkaravasinya sada vahati Svarnadi /*
*Sitagang-ahvaya loke saksad = Ganga phala-prada /*
*pithe Dikkaravasinya dvirupa ramte Sive //*
*Tiksnakant-ahvaya tv = ekay = Ogratara prakirtita /*
*para Lalitakant-akhya ya sri-Mangalacandika //*
tasyas = lu salatam rupam Tiksnakant-ahvayamnrpa /
krsna lambodari ya tu sa syad Ekajata Siva //

Reference is made here to Kamrupa as the eastern *pitha* of the Mother Goddess whose name is given as Dikkaravasini. We are told further that the holy stream of Sitaganga flowed by the side of the Dikkaravasini (temple) and that teh goddess has two forms viz. (1) Tiksnakanta-Ugratara otherwise called Ekajata, and (2) Lalitakanta-Mangalacandika. Of these fieree and benevolent forms of the goddess, the former seems to be mentioned as more popular at the place.

Elscwhere the same purana (18.43 and 51) says -

*Kamrupa Kamagirau nyapatad yoni mandalam /*
*tara = aiva nyapatad bhamun parvato nabhi mandalam//...*
*purv-ante kamarupasya devi Dikkaravasini /*
*tatha lalitakant - eti yoganidra pragiyate //*

Here we are told that the Kamagiri (i.e. the Kamakhya hill near Guwahati) was the *yoni-pitha* while the Devi's naval fell in the eastern region of Kamarupa where the Pithadevi is lalitakanta also called Yoganidra. The benevolent aspect of the goddess is given more importance in this passage.

The copper temple of Tamresvari at Paya was one of the



great centres of Sakti worship in Assam, with bloody sacrifices including slaughter of human beings. The temple stands in lat. 27.56, long. 96.2[7] about 5 miles from the Tebangkhunti air-strip on the Sadiya-Teju route. The nearest halting Place is the paya Inspection Bungalow, about 7 miles from the air-strip. Mrs. Mitra's report runs as follows : "The temple, 8 ft. square inside, built of sandstone and grantic, is located at the south-east section of a rectangular brick enclosure measuring roughly 208 ft. by 103 ft. Most part of the temple has fallen down and only a few lowermost courses now exist, and those too are buried in the earth ... The compound wall stands at places to a height of 8 ft. and its breadth is about 4 ft. It is pierced by a stone gateway on the western side." Mrs. Mitra's description seems to suggest that the construction of the said compound wall is recorded in the inscription and that the temple (originally a *caturayatana* having four shrines or cells according to Mrs. Mitra) was already in existence when the epigraph was incised.

Some writers locate the Tamresvari (Dikkarvasini) temple at Sadiya instead of at Paya which is at a considerable distance,[8] while others locate Dikkaravasini at modern Dikrang near Sadiya and some times the Diksu-nadi is identified with the modern Dikhu falling in the Brahmputra near Sibasagar.[9] It may be noticed that the *Kalika Purana* seems to mention the river Diksu near the Dikkaravasini temple as Sitaganga and to suggest that the Lalitakanta Mangalacandika and Tiksnakanta-Ugratara-Ekajata forms of the goddess Dikkaravasini were worshipped in the same temple.

---

7 See Survey of India sheet Nos. 92/a and 91/D-4.

8 P.C. Choudhury, *The history of Civilization of the Assamese People*, 1965, p. 420.

9 See *The Sakta Pithas, loc. cit.*

## TEXT[10]

(1) [Siva]-carana-prasadata (dat) Vrddharaja-tana-
(2) ya-sri-si mata[11]-Muktadharmanarayanean
(3) sri-srimati (tya) Diga (kka) ravasinya istak-a-
(4) di-viracita-prakara-mibaddhah[12] kr-
(5) tha // Agrahayanike[13] Saka 1364 (//*)

[10] From impressions and photographs.
[11] Read *Sriman-Mukta.*
[12] Better read *nibandhanam krtam*, or *prakarah nibaddhah krtah.*
[13] Read *Agrahayanike Sake.* The intended reading may be *Agrahayanikyam* or *Agrahayanyam.*



পৰিশিষ্ট ঘ

# Note

## The Chutya, or Sutya, of Upper Asam

(Incorporated in Ney Elias Introductory Sketch of the History of the Shans in Upper Burma and Western Yunnan)

It has been shown above, from the Mau chronicles, that the first migration of Shans into the Brahmaputra Valley occurred early in the 14th century, when the Mau army invaded the country from the south-east; and from the following brief epitome of the history of the Sutya race in Upper Asam, it will be seen that it was upon this people that the brunt of the Shan conquest first fell. The book from which it is derived is a small Assamese manuscript work, brought form Asam by a Burmese commander shortly before the first Anglo-Burmese war, and now in possession of the King of Burma. From this it appears that the country was situated to the west of the Udigiri Mountains (i.e., the Brahmakund and ranges bounding Khamti on the west); to the north of the hills inhabited by the Cacharis and Nangota (or naked) Nagas; while towards the west it extended as far as the country of the Kusan, said to be a Hindoo tribe dwelling formerly in the neighbourhood of Bisnath; and towards the north as far as the hills of the Amut Miri.

There were three races inhabiting the country, all of Hindoo origin, viz., the Sutya or Chutya, the Burahi (or pig race), and the Moran, also called Moamaria or Muttuck. But the Sutya was the ruling tribe, and the other two subordinate to it. The first Sutya king recorded was one Asambhinna, who, with his seven brothers, dwelt on the banks of the Sri Lohit or Brahmaputra, but at what town or village is not indicated. During his reign a Brahmin came from Benares and converted the whole of the eight brothers to Brahminism. This Brahmin was much respected for his learning and piety, and Asambhinna gave him his daughter in marriage. At Asambhinna's death the surviving brothers quarrelled among

আছিল। এই ফলিৰ যোগেদি সকলো বিঘিনি উপশমাৰ্থে ৰজা ধীৰনাৰায়ণে ১৪৪৪ শকত ৰস্মীকৰ বিপ্ৰক গজহস্ত পৰিমাণে ১০০০ পুটক (পুৰা ?) ভূমি বলকগুান (কোঠ ?) সমন্বিতে প্ৰজাই বসবাস কৰি থকা হিপুৱাল নামৰ ঠাইত প্ৰদান কৰিছে।[122] প্ৰদত্ত ভূমিৰ চাৰিসীমাৰ ঠাইবোৰৰ নাম বৰ্তমান পোৱা নগ'লেও ফলিখনৰ প্ৰাপ্তিস্থান ঢকুৱাখনা কোঁৱৰ গাঁৱক কেন্দ্ৰ কৰিয়ে এই ভূমিখণ্ড দান কৰা হৈছিল বুলি ড° গগৈৰ অনুমান গ্ৰহণ কৰিব পাৰি।

ফলিখনৰ প্ৰথমশাৰী আখৰ নষ্ট হোৱাত দাতা ৰজা ধীৰনাৰায়ণৰ ইষ্টদেৱতা কোন আছিল জনা নাযায়। সম্ভৱতঃ তেওঁ বিষ্ণুৰ নামকে স্মৰণ কৰিছিল। ওপৰত উল্লেখ কৰা ধেনুখনা তামৰ ফলিত ৰজা সত্যনাৰায়ণক 'স্বধয়াপুৰীশ্বৰ' আৰু ঘিলামৰা তামৰ ফলিত ৰজা লক্ষীনাৰায়ণক 'সধয়াপুৰীশ্বৰ' বুলি লিখাৰ দৰে এই ফলিতো ৰজা ধীৰনাৰায়ণক 'সধেয়াধিপতি' অৰ্থাৎ সদিয়াধিপতি বুলিছে। এটা মন কৰিবলগীয়া কথা হ'ল চুতীয়া ৰজাসকলক এইখন ফলি আৰু বৰমূৰ্তিয়া বিল ফলিত বিযুৎস্ব বংশধৰ বুলি কোৱা হৈছে। সম্ভৱতঃ এইখনেই আছিল চুতীয়া ৰজা প্ৰদত্ত সৰ্বশেষ তাম্ৰপত্ৰ, কাৰণ, শেষ চুতীয়া ৰজা নীতিপালে ভূমিদান কৰাৰ কোনো তাম্ৰপত্ৰ এতিয়ালৈকে পোৱা হোৱা নাই। এই ফলিখনে চুতীয়া ৰাজ্যৰ শাসন ব্যৱস্থাৰ কেইবাটাও নতুন কথাৰ লগতে চুতীয়া ৰাজ্যৰ সামাজিক-সাংস্কৃতিক জীৱনৰো কিছু নতুন কথাৰ সম্ভেদ দিয়ে।

এইকেইখন ফলিৰ উপৰি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ প্ৰাক্তন সঞ্চালক ড° বিজয় ভূষণ হাজৰিকাই ১৯৮৯ চনত কমাৰবন্ধাত অনুষ্ঠিত 'সদৌ অসম চুতীয়া জাতি সন্মিলন'ৰ স্মৃতিগ্ৰন্থত 'নাহৰণি তাম্ৰলিপিত উল্লেখিত প্ৰতাপ নাৰায়ণ কি চুতীয়া ৰজা ?' নামৰ প্ৰৱন্ধত লক্ষীমপুৰ জিলাৰ নাহৰণি গাঁৱত পোৱা ফলি এখনৰ বিষয়ে আলোচনা কৰিছে। এই ফলিখন নাৰায়ণ চন্দ্ৰ মহন্তই নিজ গাঁৱতে মাটি খান্দোতে এটা ফুলাম কাৰুকাৰ্য থকা ঢাকনিযুক্ত মাটিৰ পাত্ৰৰ ভিতৰত পায়। ফলিখন প্ৰাচীন অসমীয়া লিপিৰে সংস্কৃত ভাষাত লিখা। সেইমতে 'মহাপ্ৰতাপী আৰু শত্ৰু দলিতকাৰী' প্ৰতাপ নাৰায়ণ নামৰ এজন ৰজাই ভৰদ্বাজ গোত্ৰীয় নৰসিংহদেৱৰ পুত্ৰ আৰু বিদ্যাপতি শৰ্মাৰ পৌত্ৰ শ্ৰী মাধৱদেৱক লক্ষীমপুৰৰ সীমাতে থকা পদ্মমণ্ডল বিষয়ত সাতখন গাঁৱত থকা মাটি দানৰ কথা ১৭০৩ শক (১৭৮১ খ্ৰীঃ)ত পদ্মনাভই মানুহৰ মনৰপৰা ভ্ৰম আঁতৰোৱাৰ উদ্দেশ্যত লিপিবদ্ধ কৰিছে।' ফলিখনত দানগ্ৰহীতাৰ বংশ আৰু পূৰ্বপুৰুষৰ উল্লেখ থাকিলেও দাতা ৰজাৰ অকল মহিষী শ্ৰী লক্ষ্মী আৰু দুহিতা শ্ৰী বণিকাৰ বাহিৰে আন কাৰো নাম নাই। ফলিখনি লিখোঁতা পদ্মনাভে যি দেখিছে তাকে লিখিছে বুলি

[122] নিত্যানন্দ গগৈ, 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ঃ ১৪৪৪ শক', **সোণগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, গোগামুখ, ধেমাজী, নবেম্বৰ,২০০২,পৃঃ১০৩-১০৭।



উক্তি কৰিছে। এই উক্তিৰপৰা বুজিব পাৰি যে ফলিখন কিবা কাৰণে নষ্ট হ'বলৈ ধৰাত এই প্ৰতিলিপি কৰা হৈছিল। কোন ৰজাৰ আদেশত এই প্ৰতিলিপি কৰা হৈছিল ফলিখনত সেই ৰজাজনৰ নামৰ উল্লেখ নাই। কেৱল সময়টোহে ১৭০৩ শক বুলি দিয়া হৈছে।

ড° হাজৰিকাই যুক্তি সহকাৰে প্ৰমাণ কৰি দেখুৱাইছে যে ফলিখন কোনোবা চুতীয়া ৰজাৰ। তেওঁ কৈছে, 'ফলিখনত সম্পূৰ্ণৰূপে সংস্কৃত ভাষা থকাই প্ৰমাণ কৰে যে মাটিদানৰ মূল ফলিখন এনে এটা সময়ৰ ফলি, যেতিয়া ফলি অকল সংস্কৃতত লিখা হৈছিল, সেয়াও আকৌ ছন্দত, গদ্যত নহয় আৰু আঞ্চলিক ভাষাৰ প্ৰয়োগ আৰম্ভ হোৱা নাছিল। এই সময়ছোৱাক কোনো প্ৰকাৰে চতুদৰ্শ শতিকাৰ পিছলৈ আনিব নোৱাৰি'। ফলিখনত এটা অতি গুৰুত্বপূৰ্ণ বস্তু আছে, সেয়া হ'ল ৰাজমোহৰ। এই ৰাজমোহৰটো হ'ল ঢালেৰে সৈতে এপাত তৰোৱাল। সোণৰ মেকুৰীৰে সৈতে ঢাল-তৰোৱাল চুতীয়াসকলৰহে কুবেৰদত্ত সম্পত্তি আৰু ৰাজবংশৰ মোহৰ। দান কৰা ভূমিখণ্ড লক্ষীমপুৰ জিলাৰ সীমান্তত। ১৫২৪ খ্ৰীঃত চুতীয়া ৰাজ্য আহোম শাসনৰ তললৈ নহা পৰ্যন্ত লক্ষীমপুৰ অঞ্চল চুতীয়াসকলৰহে অধীনত আছিল।

চুতীয়াসকলৰ কোনো ৰাজবংশাৱলীতে প্ৰতাপনাৰায়ণ বুলি কোনো ৰজাৰ নাম নাই। ড° হাজৰিকাই ফলিখনৰ সম্পূৰ্ণ তথা অবিকল পাঠ তেওঁৰ প্ৰৱন্ধত নিদিলে আৰু বৰ্তমান ফলিখন ক'ত আছে সেই সম্পৰ্কেও একো নক'লে। এই বিষয়ত অধ্যয়নৰ থল ৰাখি আমি সদ্যহতে ফলিখন কোনোবা চুতীয়া ৰজাৰ বুলিয়ে ধৰি লৈছোঁ। সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**ত কঙ্কপাত্ৰ নামৰ এজন চুতীয়া মন্ত্ৰীৰ উল্লেখ আছে। তেওঁ ১৪৭২ শক/১৫৫০ খ্ৰীঃত সদিয়াত এটা বিদ্ৰোহ সংঘটিত কৰি নিজকে সদিয়াৰ ৰজা বুলি ঘোষণা কৰিছিল। তেওঁৰ লগত তিনিজন আহোম কোঁৱৰেও সহযোগিতা কৰিছিল। স্বৰ্গদেৱ চুক্লেঙমুং গড়গঞা (১৫৩৯-১৫৫২ খ্ৰীঃ) ৰজাই বৰসন্দিকৈক পঠিয়াই এই বিদ্ৰোহ দমন কৰে। যুদ্ধত কঙ্কপাত্ৰৰ মৃত্যু ঘটিল।[123] চুতীয়া ৰজাসকলৰ প্ৰায় প্ৰত্যেকেই তিনিটাকৈ নাম লৈছিল। আমি প্ৰস্তুত কৰা তালিকাত সকলো ৰজাকে তিনিটাকৈ নাম দিব পৰা নাই। গতিকে তিনিটা নাম দিব নোৱাৰা কোনোবা এজন ৰজাৰ বিৰুদ (নামন্তৰ) প্ৰতাপনাৰায়ণ হোৱাটো অসম্ভৱ নহয়।

আগতে কোৱা হৈছে যে ধেনুখনা-ঘিলামৰা তামৰ ফলিত তিনিজন দাতা ৰজাৰ নাম আছে। এওঁলোক আটাইকেইজনকে 'সধয়াপুৰীশ্বৰ' বোলা হৈছে যদিও তেওঁলোকৰ মাজৰ সম্পৰ্ক ফলিখনত লিপিবদ্ধ হোৱা নাই। গতিকে প্ৰত্যক্ষনাৰায়ণ আৰু যশনাৰায়ণ চুতীয়া ৰাজবংশাৱলীৰ কোন স্থানত পৰিব সেই কথা এই ফলিখনৰপৰা জানিব নোৱাৰি। ফলিখনৰ শেষৰজন দাতা ৰজা হ'ল যশ/যম/যম্কাদনাৰায়ণ। তেওঁ তেওঁৰ অগ্ৰজ নৃপতি

[123] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ২৫-২৬।

themselves on the subject of the succession, but eventually agreed to place the Brahmin on the throne. On the death of the latter, however, a descendant of Asambhinna came into power; he was called Indra Deva Raja, and reigned for 30 years. After him followed 31 kings lineally descended from him, the last of whom was called Lekroy Raja. The names of these kings are given and are mostly of a Hindoo type, but as no dates or events of importance are recorded, these in themselves are of no value. The thirty-two reigns from Indra Deva, inclusive, downwards, aggregate 554 years (or an average of $17^1/_3$ years each), but the length of Asambhinna's and the Brahmin's reigns are not given.[1]

Lekroy Raja died leaving four sons called, respectively, Burora, Maisura, Kolita and Kossi Raja, but before the succession had been fixed Samlungpha arrived with a Mau army, and the brothers being divided among themselves made only a feeble resistance. Burora (surnamed Buruk) was killed in battle with the Shans; Maisura (surnamed Maikron) fled with a number of followers to Maing-Bing;[2] Kolita, followed by a considerable force of his countrymen, also fled, but to the westward across the mountains near the Sri Lohit, where he established a kingdom; the fourth brother, Kossi Raja, was captured by the Shans and agreed to become a feudatory. Samlungpha then placed a Tamon, or Governor, on the Sutya throne and returned to Mogaung; but after five months the Tamon was poisoned by Kossi Raja, who seized the power and ruled for a period of six months, when a Shan force was again sent into the country, which defeated Kossi Raja and obliged him to take refuge in Cachar. On this occasion the Shans are said to have been commanded by Chau-Kaa-pha, the younger brother or cousin of the Mogaung tsaubwa, but the name and event, taken together, appear to establish him as the son of Fu-Sang-Kang of Momiet,[3] whatever might have been his relationship to the Mogaung tsaubwa.

[1] Supposing these two first reigns to have been in the same protection the 34 reigns would aggregate 589, and Assambhinna's accession would consequently come to about 640 A.D. if we place samplungpha's invasion in 1229 A.D.

[2] Said to be near the the present Bisnath

[3] See table, page 51



Perhaps the only remarkable point in the above is the mention of Kolita having established a kingdom to the west of Sutya and beyond the range flanking the Brahmaputra on the north, for it is almost precisely in this locality that Captain Neufville points to an isolated but civilised people of that name. He writes[4] - "The country to the eastward of Bhot (Bhutan) and the northward of Sadiya, extending on the plain beyond the mountains, is said to be possessed by a powerful nation called Kolitas or Kultas, who are described as having attained a high degree of advancement and civilisation, equal to any of the nations of the east. The power, dominion, and resources of the Kulta Raja are stated to exceed, by far, those of Asam, under its most flourishing circumstances, and in former times a communication appears to have been kept up between the states, now long discontinued.

"To this nation are attributed the implements of husbandry and domestic life, washed down by the flood of the Dihong before-mentioned.[5] Of their peculiar habits and religion nothing is known, though they are considered to be Hindoos, a circumstance which, from their locality, I think most unlikely, and in all probability arising merely from some fancied analogy of sound, *the word Kolita being used in Asamese to signify the Khaet caste.*"

I am particular in italicising the last sentence, as the natural inclination would be to connect the fugitive prince, Kolita, with the learned caste of that name in Asam, and the more especially as the name of his brother, Kossi Raja, would seem to have some affinity to the inferior Asamese caste of Koch, and that therefore the whole story might be a local Hindoo invention for fabricating pedigrees for these castes after Brahminical fashion. But if we can assume with Captain Neufville that a really separate people exist under this name, the case is otherwise, and Ritter, the only commentator on Neufville's original information that I know of, appears to accept the story.[6]

Captain Wilcox, who was a companion of Neufville,

[4] *Asiatick Researches*, XVI, P.345

[5] *Ibid*

[6] *Erdkunde*, IV, P.388

publishes[7] an itinerary from native sources of a route leading from Durrung, through Tawang, to the Kolita country, which gives a distance of 16 marches; and one of the Trigonometrical Survey Pundits, in his late journey from Leh to Lassa and thence to Asam,[8] passed through a country called *Mon-huil* (Mon-land) situated immediately to the north of Tawang, or 13 marches from Udalgiri in the Durrung District, where the inhabitants, called Mon-pas "differ materially in language, dress, manners, and appearance from the inhabitants of Tibet, and resemble in many respects the Dukpas of the Bhutan country on the west". He does not make any mention of their being of Hindoo race, or of their having any similarity to the Hindoos of Asam, but mentions that they are a settled people and carry on a considerable trade, while their country, apparently, is fertile and well-cultivated. All but the name therefore points to the land of the Kolita indicated by Neufville, and it would be interesting to ascertain what connection exists between these two modern accounts, whatever may be the value of the tradition of the Sutya prince's flight.

The tribal name of "Mon", as given by the Pundit, is defined by Csoma de KÖrÖs, in his Tibetan Dictionary, as a general name for the hill people between the plains of India and Tibet, and it is quite possible that Mon-pas in different localities should have distinguishing names. The syllable "pas," it may be remarked, means simply "people" or "race"; thus Mon-pas, people of Mon or Mon-huil (Mon-country); Horpas, people of Hor or Hor-huil, &c.

The connection between the Mon and Hor of these southern Tibetan regions with the Mun-da and Hora (or Kols) of Chota Nagpur, who in their turn are held to be connected with the Mon or Talain race of Lower Burma, it would be beside the object of this note to discuss.

(See Sir A. Phayre in J. A. S. B., XLII., pt. I., page 35: also Dr. Mason in "Burma, &c.", and Captain Trotter's Report before quoted.)

---

7 *Selections Bengal Government*, No.XXIII (1855), P.127, and Asiatick Researches. Vol.XVII, P.454

8 See *Report on Trans-Himalayan Explorations*, 1873-74-75 by Caption H. Trotter, R.E., PP.69,82 and 90



### পৰিশিষ্ট ৬

# Notes on Ancient Temples and other remains in the Vicinity of Suddyah, Upper Assam.

(By Major S.F. Hannay, published in the **Journal of the Asiatic Society**, June, 1848.)

Being-desirous of making some researches in the jungles north of Suddyah for the remains of the former inhabitants of that section of Upper Assam, I took the opportunity of my yearly visit to Laikwah, to make excursions in the different directions pointed out by the villagers as leading to temples, tanks, and other remains of a people different in every respect from the present race inhabiting the country, and who are associated in their ideas with the Demigods and Deotas of ancient Hindooism.

**Bishmook Nuggur** - This is a Hill Fort; built according to the traditions of the people of Upper Assam, by a rajah of that name (Bishmook); whom the Hindoostanees appear to identify with Bheekrum, rajah of Koondilpoor, the father of the celebrated Rukhmuni. It is situated at the foot of the mountains nearly north of Suddyah, between the Dikrung and Debong rivers, and may be distant about 16 miles.

In proceeding to this Fort; we passed over the Suddyah plain in a northerly direction, and at a distance of about six miles came out on the Dikrung river, up the bed of which we continued our course on elephants, till the morning of the 3rd day, when we reached the hills. The route was then on foot, through the tree jungle on the right bank of the river, winding along the tracks of wild elephants (but more frequently obliged to cut our path) for about two hours, when we found ourselves at the foot of a steep

ascent of 80 or 100 feet, up which we scrambled to a fine piece of table-land covered with splendid timber, amongst which we observe the Jack, Toon and Tehaum. Here our guide, who by the bye had never seen the Fort, said we had reached it, and mentioned that the tract of table land covered with various fruit trees extended inland to the foot of the Guroee mountain.[1] No vestiges of architecture were visible however, and we were thus disappointed, as in the absence of any knowledge whatever as to localities, it would have been too laborious an undertaking to explore such an extent of country. It was agreed upon therefore to proceed for some distance along the edge of the steep bounding the table-land on the left, in the hopes of finding a road or path which might lead to a gateway, and percelving in our course one or two paths, well worn by wild animals in their progress to water, we passed down one of these, and were fortunate enough, after turning and winding through the hollow ground formed by the steep we had just left, and an opposite spur of the elevated land, to discover that a high rampart of earth crossed the opening towards the plain; crowning this, we found ourselves amongest bricks scattered about, with a low wall running along the top of the outer edge, which on nearer inspection proved to be an upper parapet overtopping the rampart, the lower portion showing a solid facing of hewn sandstone blocks, of more or less height, according to the nature of the ground.

This rampart ran in a direction about North West, and in the distance of $^1/_4$ mile, which we inspected, the brick wall continued on the left, sometimes to the height of five feet, loop-holed in several places, apparently for arrows and spears, but more frequently in a very dilapidated state from huge trees having taken root in the rampart and wild animals passing over it. At the distance

[1] Guroee Mountain, and also Geree, so called from a tribe of Mishmees inhabiting the lower spurs. the Thi Guroee is North of Suddyah, and in a direct line about 20 miles distane. The highest peak must be upwards of 8000 feet, being often covered with snow in the cold season, and behind it are seen several snow-capped mountains of a higher range. The Diggaroo and Dikrung rivers rise from the Southern slopes of this mountain and the former brings down those beautiful boulders of primitive limestone-marble which supplies Western Assam with lime.



of $^1/_4$ of a mile, a spur of the table land touched upon the rampart and a brick wall crossed it, ascending the spur apparently to the level land above; here also must have been a gateway or passage of some kind through the cross wall, but all had disappeared in the heaps of bricks lying about. The wall and rampart however still continued to the north-west, but having so little local information about the place, and being limited in our researches to that day only, it was considered advisable to return. We therefore confined our further observations to that portion of the works we had passed.

**Conjectures as to the nature and extent of the works** - The table-land to the east being naturally strong from the steepness and difficulty of ascent, required no artificial defences, and from the circumstance of the rampart and wall abutting upon the southermost point of the table-land, it appeared to me evident that those works, to their utmost extent westward, probably to the Dibong, about 4 miles distant, were merely intended to enclose the table-land at the foot of the hills, and thus form a place of refuge in time of invasion. The quantity of fruit trees, such as Shaum (Artocarpus chaplasha) Jack and Mangoe, would also lead us to suppose that the place had been peopled, or at least that it had been occasionally occupied as a summer residence. No buildings however are said to be on this hill fortification, but the Mishmees, who describe it as of great extent, speak also of a gateway by a hill stream, where there are large earthernware vessels similar to the *Naud*; used for holding water, besides other smaller vessels of various shapes; and the truth of the latter is confirmed by the numerous debris of earthern vessels found in the bed of the Dikrung river, of a description totally different from the manufactures of the present day in Assam, being more (as regards quality of material and shape) of that of the earthernware of Gangetic India.

**Description and quality of works** - Although bearing the appearance of great age, for in many places the wall has bulged and fallen down, it has evidently been well and substantially built;

the sandstone blocks, varying from 10 to 8 inches thick, 1 foot broad and 20 inches long, are rudely, but evenly chisselled with the point, and they are closely and regularly laid. The bricks are first rate, varying in size from 8 to 5, and 6 to 4 inches, and from $^1/_2$ to $2^1/_2$ inches thick, and the parapet wall formed of these, about 4 or $4^1/_2$ feet in thickness. The sandstone facing of the rampart may be somewhat less, but the whole masonry work is laid without cement or fastening of any kind; immediately over the sandstone, are two rows of bricks, and over these two others projecting, so as to form a rude cornice, which gives an appearance of neatness. The rows or layers of masonry (sandstone) alternate from 5 to 7 and 9 from the bottom of the wall outside, a difference which may be accounted for either from the natural steepness of the ground in some parts, requiring less wall; or from the earth having accumulated against the wall from natural causes, during a long period of time. Close to where the wall abuts against the table-land, there is a turn at right angles given evidently to form a flank defence. No writing or rude marks on the stones such as I subsequently found at other places, were discovered in this hill fortification.

**The Tamaseree Mai, or Copper Temple** - This temple is designated by Buchanan "the Eastern Kamykya", and its site is stated by him to be on the Dikkori Basini, near the north-eastern boundary of the ancient kingdom of Kamarupa.

The small romantic little stream, on the right bank of which it is built, is not the Dikharoo river however, although in its course to the Burrumpooter it receives several accessories from that river. Dol, or Dewul panee, is the name by which the temple stream is known to the Assamese.

Formerly, and whilst the remains of the Hindoo races on the north (right bank) of the Burrumpooter were still unmolested by the Ahom or Shan dynasty in Assam, the eastern Kamykhya was accessible from Western India, by that stupendous work the raised road or alley, which is known to have extended from the



modern Kooch Behar to the Eastern confines of the Assam valley; - subsequently also, as the Ahoms became proselytes to Hindooism, although their zealous policy excluded people from Western India, the natives of the valley had permission to propitiate, and I believe a road went direct through the present Suddyah to the Temple, or via Choonpoora or Sonipore of the maps, a place on the north bank of the Burrumpooter, the residence of the Suddyah Kwa Gohain, an officer of the above government, in charge of the eastern districts of Assam. Choonpoora is about 10 miles east of the present station of Koondil Mookh, and the Temple may be about 8 miles inland from Choonpoora, in a north-east direction.

A generation and more has passed away since the votaries of this Temple were numerous enough to keep the roads open, and the only accessible route now-a-days, is by the course of the Dalpanee, up which the anxious pilgrim frequently wanders for days without being able to find the object of his search, for the country is one mass of dense jungle, and so many streams fall into that which passes the holy spot, that even those who have visited the place, and ought to have a knowledge of the landmarks, are frequently puzzled, that an idea prevails, that the goddess, or titular deity of the Temple, is to be found and propitiated only when it pleases herself. I believe indeed that in more than one instance, pilgrims have returned ungratified; and Byragees and other's from Western India, in attempting to find the Temple alone, have perished from hunger, or become a prey to the tigers, which are numerous.

According to the accounts of my learned Hindoo friends, the worship at the eastern Kamykya is the Yoni, but more properly the Linga of Siva, in conjunction with the Yoni. Siva has also been propitiated in his character of the destroyer, and it is well known that human sacrifices have been made there within the present century. I have not been able, however, to ascertain the date of the last sacrifice, and whether it existed up to the invasion of the

Burmese, but I have been told as a positive fact, that the particular class of people amongst whom the victims for such sacrifice were taken, are still in existence, and one family is now living in Suddyah. However. I have not made any particular inquiries regarding so barbarous a rite, and will merely observe that orthodox Hindoos do not admit the necessity for human sacrifice at the Eastern Kamykya,[2] and account for its introduction, by the barbarity and ignorance of the people. My own opinion is also in favour of this, and the probability that it was so introduced by the Ahoms in their early ignorance of Hindooism, or that some wily and bigoted brahman, may have made it a price for the liberty of proselytism to his creed, the sects of which in Assam, the Ahoms, following their advent into the country, had long persecuted.'

The Hindu Buddhism and Brahminical Hindooism both existed from very remote period in Assam, I think we need not doubt, as well as, that the latter came down to a very late date; of which indeed, there can be no better proof than the fact of its influence having led to the conversion of the Buddistical Tai race who had become the rulers of the country.[3]

Admitting also that the kingdom of Kamroop had attained to an equal degree of civilization with coeval Hindu dynasties of central India,[4] there is nevertheless but little doubt of its having fallen away into a state of anarchy and barbarism, for centuries perhaps, before the middle of the 15th, and this from the influx of impure tribes, on every side; and their mixing up with the original inhabitants of the plains. - The advent of these having followed

2 Kamakhya should be more properly written Kam Iehchha, from Kama and Iehchha.

3 According to Hiouan thsang, Buddhism had made no progress in Assam up to the middle of the seventh century. The Tibetan accounts which make Assam the scenc of Sakya's death, are now well ascertained to be in this respect errone-ous.-Ebs.

4 The extensive ruins of Sonitpoor or Lohitpoor, as described by the late Capt. Westmacott, prove this I think, and in the praises of Chandragupta, as trans-lated from inscription No. 2 of the Allahabad Pillar, and published in J.A.S. for June 1836, we have in stanza 19, "Of him who when his fame penetrated to the friendly forest of Pines, to Kamarupa, to Nepal," &c.

5 General known as Dhuram-pal.



upon the dying off of the former dynasties, or their downfal by invasion from Gangetic India, of which last there are two mentioned, that of the Emperor Vicramaditya and of Yitari[5] a pious Rajput, from Western India, who was the founder of a dynasty in central Assam, which became extinct with Rajah Sukrank in 1478 A.D.

Indeed from whatever cause, its beauty, extraordinary fertility, and richness, - or perhaps the unwarlike character of its inhabitants,[6] it is certain we hear of Kamaroopa having been the prey of the invaders from India, from the time of its being the abode of the primitive Assurs, and Deotas,[7] to the last invasion of the Mahomedans of Bengal in the middle of the 17th century; I am inclined however to give its downfall from former greatness, a very early date, at least to a period prior to the first Mahomedan invasion of Kamroop, and would attribute it solely to the peculiar tenets of its people (the worship of Siva) and the prolonged struggles which in former times took place throughout India, between this and the opposite sect of Vaisnava; and here also we shall find the true cause of the unfinished and ruinous state of the extensive remains in central Assam, as also on its Eastern confines, and not ascribe the desecration, either to the rude hand of the Mahomedan, or the Shan invader.[8] About the middle of the 15th century, and perhaps before the death of Sukrank, the last of the Yitari or Dhuram-pal line in A.D. 1478, a revival of Hindooism according to Brahminical tenets, appears (from Prinsep's Chronological Table of the North bank Burumpooter dynasty) to have been carried out, by the introduction of Brahmins from Gour, and from this time, we may date a gradual extension of its influence

6 In latter days at least.

7 In thus alluding to the Assuras and Deotas, I am of opinion that Assam or Kamaroopa was one of the earliest conquests of Indian Khetri kings, and the sent of that primitive Hindooism (or shall we say Buddhism) which existed previous to the Brahminical or priestly doctrine which superseded it.

8 The first invasion of the Mahomedans is stated to have been the early part of the 13 th century, but it does not appear that they penetrated beyond Rungpoor, bengal which anciently belonged to the kingdom of Kamrupa.

over all classes, the Tai rulers of the country having become proselytes somewhere between 1611-49. After the death of Sukrank without issue, the different classes of the people, appear by the same Chronological table to have been formed into 12 Rajs, known in Assam as the Barah Bhooeeah - these however, soon came under the dominant power of the Ahoms, who commencing with the Cassarees and Sooteeahs on the East, slowly but securely extended their supremacy by force and intermarriage, until they eventually assumed the sovereign power to the confines of Bengal.

**Structure of Temple and style of architecture** - The Temple is situated close on the right bank of the romantic little stream, called the Dolpanee in the midst of a dense forest, in which there are some splendid specimens of the Nagasur. The dimensions of the interior is a square of 8 feet, the walls being about $4^1/_2$ feet thick, excepting in front, where there are two recesses on each side of the door, which is formed of three entire blocks of stone. The outer line of wall therefore encloses a square of about 17 feet. With exception of the lintel and sides of the doorway (Pl. XXX, fig. 1), the four walls are quite plain, both inside outside; from the basement outside however, at the height of 10 feet, there is a projection of stone slightly fluted on the underside, which forms a cornice, and above this there may have been about 2 feet more of wall upon which the roof rested, as not a vestage is remaining of this last, it would be difficult to speak confidently of its particular construction, but as there are several long pieces of stone, levelled at the lower end which have fallen inside, it is possible that these may have formed the groins of support to the roof-eight in number-the intermediate spaces between these, being filled in with thin slabs, of which there are many lying about, and the whole covered over with sheets of beaten copper, laced together through copper loops fastened on the edge of the different sheets; as the groins however, are not above 5 or 6 feet long, the roof must have been rather flat; a carved vase-shaped block, now lying in the river, in all probability formed the centre of the dome.



The Linga, two in number, are in the middle of a large stone inside, and accessible by a descent of a few steps from the doorway; in which there was a folding-door of stone or wood, judging from the hole at top and bottom on each side.

The style of architecture is ancient, but I should be inclined to think the present building of comparatively modern date, from the circumnstance of finding a thin layer of brick *soorkee* or mortar between the rows of masonry; if such is the case, we might reasonably suppose it had been rebuilt about the time of the revival of Brahminical Hindooism, as before noticed. The original shape has without doubt been adhered to, and the same material employed as on its first construction. This looks old and bears marks of iron fastenings now completely decayed.

**Building material of Temple and enclosur** - The material of the temple, with the exception of the door lintel sides, and projecting wall on each side, is a course grit, well adapted for building purpose. The blocks averaging from one foot thick, the same in depth, and 18 inches long, are smoothly chiselled, and the masonry is evenly and closely fitted. The three blocks forming the doorway, each of $7^1/_2$ feet long and 2 feet by 18 inches in girth, with the blocks of the projecting wall, are reddish porphyritic granite of an adamantine hardness; and must have requried exceedingly well tempered tools to work, the chiselling being with the point in straight lines, which give a ribbed appearance.

The site of the temple is as near as possible square with cardinal points, the doorway to the west, the back wall having only a space of 12 paces between it and the wall of the outer enclosure, which on the east, rises directly up from the right bank of the stream. This is a substantial brick wall, about $4^1/_2$ feet thick rising to the height of 8 feet, on a foundation of rudely cut blocks of sandstone. The entrance of this enclosure is on the west face, where there has been a stone gateway and door, of which the lintel carved on the edge in a chain of lotus flowers, is lying close by, as

well as some ornamented small pillars upon which in all probabillity the elephant[9] (Plate. XXX. fig. 2)was placed near the doorway; at the south-east corner, there was also a stone gateway leading to the small stream, in the bed of which are several carved and plain blocks of granite and sandstone to which it would be difficult now to assign a place; one of these is the triangular shaped weather-worn block of granite (Fig.3. Pl. XXX) on which are symbols, which perhaps may have some meaning, and give a clue to the era of the building; - one or two of the letter-like figures, assimilate with some of the characters of the ancient Nagree alphabet, but the shaded figures are too deeply cut to suppose they are more than symbolical of a particular era and people. On some of the blocks lying in the river, and in the foundation of the enclosure wall, as also on the elephant, I found the marks, represented at 1, 2, 3, 4, 5, of Pl. XXX) and which I fancy are typical of the sect of the manson, or of the builders. In front of the temple, and lying between a small brick terrace opposite the door, are several round-shaped plates of granite sunk to a level with the ground, upon which offerings are said to have been placed. The brick terrace has a low wall on three sides, now in ruins, but the outer enclosure wall is in a tolerable state of preservation, and along the inside of both eastern and western faces, brick tiles about 14 inches square are let in, having stamped upon them in high relief, figure of some of the Hindoo Avatars; the principal are the caparisoned horse - the same with warrior, in a high conical cap, - Hunooman, - the fabulous horse and tree, - two peacocks fighting, - one bird preying on an other, with a variety of flowers of the Lotus, Champa, and Nagasur, done in different forms; most of the figures are dressed in the conical shaped cap; but I am inclined to think, this wall and its embellishments, are coeval with the second building of the temple about 400 years ago.

The present ruinous state can be easily accounted for by

9 The tusks of the elephant are said to have been of silver. The block from which it is cut measures 4 feet in length, 2 feet high, 18 inches broad.



the jungle having grown up so thick around it and upon it; for it is quite impossible that such building could stand when once trees and shrubs had taken root on the walls, as one stone displaced, the roof would soon come down. The present state of dilapidation is however ascribed to an earthquake about 5 years ago, no doubt assisted by the numerous wild elephants who tear down the shrubs from the highest points they can reach, and rub themselves against the walls.

**Alter of worship called - Boora Booree** - Following my visit to the Copper Temple, I was induced from the reports of Deoree Sooteeahs[10] of Suddyah to visit a temple or place of worship, situated close on the left bank of the Dikrung river, and to look for other remains which were said to exist in the Doab, or tract of country lying between that river and the Debong, connected, according to the traditions of the people, with the Rajah Bishmook before mentioned, and his capital Koondilpoor.

We found this temple of worship about 10 miles distant

10 The Deoree Sooteeahs are the hereditary officiating priests of the copper temple, and Boora Booree. They belong to a class of Assamese population deserving of notice, as the Sooteea or Chootyahs, who at one time previous to Ahom supremacy held power on the North and South bank of Burrumpooter, in the modern district of Suddyah and Saikwah, and according to their own account, are descendants of the original Hindoo Khetree races of ancient Kamarupa. (The family of the late Muttaok Senaputtee are Chootyahs). This tradition might derive some corroboration from the fact, that the language of this race, now only known to the families of the priests, contains a great proportion of Sanscrit and Hindee as well as Burmese words, which last are probably derived from Pali, and the whole language may, therefore have been originaly one of the Pracrit dialects of the day; according to the Tai races also, the "Khwam Chootyah (or Chootyah) language appears to have been the only written language in existence at the period of their advent in Assam; - and it is notorious, that both Burmese and Shans substitute the Y for the R, and we would then have it written more like Xshattrya or Chuttryah. In the present time the Sooteeahs are called Hindoo Sooteahs, and AhomSoteeahs, the last named being those with whom the Ahoms or Saums intermarried at an early date.The class of the Assam population known as Beheeahs in upper Assam, also consider themselves belonging to the Hindoo Sooteeeah family. With referance indeed, to the charactristic features of the different people in Upper Assam, it may be generally remarked I belive that amongest the Chootyahs - Beheeas and Kulitas who have not intermarried with the Saums, the high and regular features of the Hindoo predominate. Many of the latter indeed are very well featured, with the grey eye which we frequently find amongest the Rajputs of Western india.

from Suddyah, the last four miles of the road lying along the bed of the Dikrung to the mouth of a small stream on the left bank, called the Deopanee, in the immediate vicinity of which it is situated. This extraordinary looking place, represented in sketch No. 3, and rough ground plan annexed, is considered by the natives of the district, the most ancient and holy spot in Upper Assam; and the source from which all other objects of worship have sprung, not even excepting that of the Copper temple. By the orthodox Hindoos, it would be considered an altar to Mahadeo, or Siva and Parvatti, with their attendant Gunas. From its shape and the number of the Linga however, I should be inclined to think that no better explanation of, its original and peculiar worship could be given, than what is written of the attributes of Adi Buddha, and Adi Prajna, in the quotations from original Sanscrit authorities on Buddhism, published in the **Journal of the Asiatic Society** for the month of Feb. 1836.

The alter is a hexagon, each face measuring about 8 feet inside. The architecture quite plain, the wall two feet thick, showing on the outside from the foundation 5 rows of sandstone blocks, varying from 10 to 8 inches thick, the masonry bound together with iron clamps. The inner side of the wall is brick, and on the top is a coping of brick soorkee without lime, which last looks like a comparatively modern addition. The whole space inside has been paved with rough flags of sandstone; and in the centre, placed north and south, is a large slab shaped like a gravestone, containing the Linga, as represented in the rough ground plan.

In front of the alter on the West side, is a terrace or choubootra, upon which offerings are placed.[11] In later days, since the proselytism of the Ahoms, and the re-establishment of the worship at these temples, the Boora Booree had a light roof

[11] The most esteemed offering made at this temple is a white buffaloe, but pigeons, kids, and ducks are also sacrificed along with offerings made of money, cloth, opium, flowers, rice and in fact every article of food.



supported on posts, covering the whole space; this however is long since decayed and gone.

At a distance of 180 feet from the North-East corner of the alter is an outer rampart and deep ditch, corresponding exactly with the inner hexagon; and at a somewhat less distance is another, but lower rampart of the same shape. There is no gateway, or the remains of one, visible in these outer works; but a raised road leads out from the Western face of the alter; within the first enclosure, also in the North-West corner, is the remains of a small tank, and about 20 paces in front of the terrace is an upright stone (sandstone) with a moulding on the edge, placed there I was told for sharpening the dhas of sacrifice. The whole space is a dense jungle, and the site of the alter had to be cleared, before it could be examined; within the enclosed ground, as well as on the inner rampart, are some of the most magnificient Nahor trees I have ever seen. The surrounding jungle (underwood) is mostly the wild Betelnut (as it is called) and the vicinity of the spot is notorious for the number of the Sewah Palm (Caryota Ureus). Toon of a large description, and other timber trees, common to upper Assam, are also in abundance.

During a sojourn of a week on the banks of the Dikrung river, daily excursions were made into the jungle, in the hopes of finding the remains of another temple and tank, said to exist in, or near the site of an ancient place called Pritthimee, and by some Phoontook Nuggur; situated between the Dibong and Dikrung rivers there, about five miles apart.

The result of our searches (although not fortunate enough to find the temple and tank we looked for) were three very fine pucka tanks, all of which were, in form, a parelleogram, three times the breadth in length, with two opposite bathing ghauts exactly in the middle of the embankments, which last were built of first rate bricks, laid in three steps or ledges to the water's edge and without lime or soorkee, the upper surface of the embankment being also paved with bricks.

One of these tanks, situated several miles inland, was by rough measurement, 280 yards long, by 96 broad, and the site lenghtways, north and south, as near as possible. The bathing ghauts, although ruinous, were built of hewn blocks of sandstone, flags of the same stone shield shaped, as at No. 8 of typical marks (Pl. XXX) forming the side ways. Here also, on detached blocks from these ghauts, I found inscribed the Fursah or Battle-axe, and other marks similar to those of the Copper Temple.

On the embankments near the ghauts, were several very large Banian trees; and besides numbers of fine Nahor, we found the Neribi (Canarium strictum), Tapor (Xanthochymus pictorious), and other fruit trees;- the surrounding small jungle where the ground was high and dry, was invariably the wild Betelnut, with an occasional Sewah.

Another of these tanks is situated close on the right bank of the Dikrung, and from its immediate vicinity a high rampart of earth with a ditch, proceeds south-west and west, circling round for several miles north-west to north, at which point we found the remains of a brick gateway, with rampart, and the tank I measured, close to it; a road also proceeds from this point to the westward (afterwards traced as far as the Dibong). In front of the gateway, is a small water-course, or continuation of the outer ditch, on each side of which were the remains of buttresses of hewn sandstone, and some large slabs were lying about; it is evident therefore that a bridge crossed the ditch at that point.

None of the natives who accompanied us had seen these remains, and of course had no knowledge as to extent of country enclosed by this rampart; but as it is some 18 feet high, with fine timber growing upon it, it is quite possible to trace it to the point where it again perhaps touches on the Dikrung. The tanks we found are all inside this rampart, and as others are reported to be in existence, we may conclude that it enclosed the site of a large town or inhabited tract of country. In fact, from the accounts of different people who prowl about these jungles elephant-shooting,



and who describe various works of brick and stone, - high earthen mounds, with tracts of cultivatable land intermixed, I am inclined to think that the country from the Dibong to the Koondil river, a distance of 10 or 12 miles, with the hill fortification known as Bishmook Nugger, and Sisoopal Nugger,[12] belonged to one people and dynasty. It is indeed quite obvious that the mansonry either of brick or stone, which we examined, is the work of the same people, and that the sandstone is the produce of one quarry, apparently of the old red sandstone formation, which we might expect to be in existence on the southern edge of the neighbouring mountains.

Our researches on the Dikrung ended with discovery of the carved block of sandstone, represented in Pl. XXXI. This stone, $7^1/_2$ feet long by 18 inches broad, and 10 inches thick, was found inside a substantial brick enclosure 96 by 84 feet, built without lime or morter, but of the finest bricks I have ever seen, some of them in the doorway (situated in a buttress in the west face), 18 inches by 1 foot, and $3^1/_2$ inches thick, the wall $4^1/_2$ feet in thickness, and upwards of 6 feet high, the coping of entire bricks included.

In one corner of the enclosure was a well, made with the tile rings used in Bengal, and close to the eastern wall was a brick terrace, upon which the stone was placed parallel to this face. The inner side (which was uppermost), was divided by a ledge $1^1/_2$ inches high, into 3 compartments, the centre containing 3, the others 2, in all 7 cavities, which led the native of the present day to suppose the stone had been used as a *Dhenkiri*, for pounding rice.

There can be little doubt however of the object of the

[12] I am at a loss to know why this place, which was visited by Lieut Rowlatt, is so called Sispal, or Sisupal, who was Rajah of Chanderi in Bundlekund, may have accompanied his cousin Krishna in his wanderings; but he could have had no connection with the country of Bishmook beyond this, if we may expect the story of his having been betrothed to Rukhmini. the daughter of Bishmook, and if we can beleive that the Bedhurb of the Hindoos is the modern Suddyah, and the Koondilpoor of the Prem Sagur.

people who placed it in position we found it; as well as, that its dimensions, and clearly sculptured face,[13] shows that at one time it formed the left hand side of the door of a temple, and taking into consideration that this building was at a considerable distance from the works enclosing the tanks, &c, we may reasonably imagine that the stone with the whole of the brick work was taken from the site of the temple, we were in search of, and to a certain extent corroborates the reports of the natives as to its existence within the site of Pritthimee Nugger, the discovery of which however, must depend upon further researches in that quarter.

In the present time it would appear difficult to account for existence of such extensive remains of population so far inland from the Burrumpooter. The traditions of the people however go to say, that the course of this river eastward of Suddyah even ran in former times much nearer to the northern mountains, but at what particular point the Burrumpooter subsequently receded from the hills, cannot now be well determined; as the land is high at Choonpoorah, and continues so, as far inland at least as the Copper Temple. It is evident notwithstanding, and it is the current belief of the people, that the extensive plain of Suddyah is an alluvial deposit of no very ancient date. I have seen indeed, when the Burrumpooter was encroaching upon the station of Koondil Mookh, drift timber of immense size exposed by the abrasions of the river, and at the mouth of the Koondil, it appeared as if a forest had once existed, under the Suddyah alluvial deposit; which I believe, at the highest, is not more than 16 feet above the dry season level of the water in the river.

As the Suddyah land falls again inland at about 4 or 5 miles distance towards the Goormoorah Nuddee, it is possible that this last may in former times have been the bed of the Burrumpooter, which would thus have joined the Debong, where the Dikrung and the united waters of the Goormoorah now fall into the river. This would bring the remains of Pritthimee and Bishmook within a reasonable distance of the great river of the valley.

13 The figure on this stone is supposed to be that of Krishna; lying alongside of this was a smaller block, the edge carved in a chain frieze, apparently part of a cornice.






Plate : XXX



Plate : XXXI

সত্যনাৰায়ণ আৰু প্ৰত্যক্ষনাৰায়ণৰ ভূমিদানৰ ফলিখন নবীকৰণ কৰি নিজেও ভূমিদান কৰি সেই ফলিতে এই কথা লিপিবদ্ধ কৰিছে। গতিকে যশ/যমনাৰায়ণ প্ৰত্যক্ষনাৰায়ণৰ পিছৰ ৰজা বুলি ঠিৰাংকৈ ক'ব পাৰি। ফলিখনত প্ৰথমজন নৃপতিয়ে দান কৰা চনটোকে ৰাখিছে। ইয়াৰ সলনি ফলিখনত নবীকৰণৰ তাৰিখকেইটা থকা হ'লে বেমেজানিৰ সৃষ্টি নহ'লহেঁতেন।

আন এটা খেলিমেলিৰ সৃষ্টি হয় চুতীয়াসলৰ একাদশ ৰজা ধৰ্মনাৰায়ণৰ পিতৃৰ নামক লৈ। বৰমূৰ্ত্তিয়া ফলিৰ মতে ধৰ্মনাৰায়ণৰ পিতৃ সত্যনাৰায়ণ। আনহাতে সদিয়া চেপাখোৱা ফলিমতে ৰত্নাৰায়ণ। এই ৰত্নাৰায়ণক ড° মহেশ্বৰ নেওগে চুতীয়াসকলৰ দ্বিতীয় আৰু সৰ্বশ্ৰেষ্ঠ ৰজা ৰত্নধ্বজপালৰ লগত চিনাক্ত কৰিছে, কাৰণ, ফলিখনৰ আৰম্ভণিতে 'বিজয়ী শ্ৰী ৰত্নাৰায়ণ নামে এজন ৰজা হৈছিল কমতাপুৰত' বুলি উল্লেখ আছে। কিন্তু ৰত্নধ্বজপালৰ ৰাজত্বৰ আনুমানিক সময় হ'ল ১২১০-১২৫০ খ্ৰীঃ আৰু ধৰ্মনাৰায়ণৰ ৰাজত্বৰ আনুমানিক কাল হ'ল ১৪২০-১৪৪৫ খ্ৰীঃ। গতিকে তেৰ শতিকাৰ আৰম্ভণিত ৰাজত্ব কৰা ৰজাজনক পোন্ধৰ শতিকাৰ প্ৰথম ভাগলৈ আনিব নোৱাৰি। তেওঁ লিখিছে, 'ফলিৰ শ্ৰী ৰত্নাৰায়ণ কমতাপুৰত হোৱা ৰজা (অভূৎ কমতাপুৰে নৰপতিঃ); আখ্যানত ৰত্নধ্বজপাল কমতাপুৰৰ জোঁৱাই। এনে অসম্ভৱ নহ'ব যে হয়তো ৰত্নাৰায়ণৰ অভ্যুদয় কমতাপুৰত, কিন্তু শেষত তেওঁ ৰাজ্য প্ৰতিষ্ঠা বা উপনিবেশ স্থাপন কৰে পূৰ্বাঞ্চলত - হয়তো অৰুণাচলত। এনেটো সম্ভাৱনাৰ ক্ষেত্ৰত প্ৰকৃত কমতাপুৰৰ কোঁৱৰ ৰত্নাৰায়ণ পূৰ্বাঞ্চলৰ ৰজা হোৱাত তেওঁক আখ্যানত পূৰ্বাঞ্চলৰে লোক বুলি ধৰি লৈ হয়তো তেওঁৰ লগত কমতাপুৰৰ সম্বন্ধটো মাথোন বৈবাহিক বুলি ধৰি লৈ তাৰবাবে এটা কাহিনীৰ সৃষ্টি কৰি মাথোন কথাটো explain away কৰা হৈছে।[১২৪] কিন্তু চুতীয়া ৰাজবংশাৱলীৰ তালিকা আৰু কালানুক্ৰমৰ ভিত্তিতে ড° মহেশ্বৰ নেওগৰ এই মন্তব্য গ্ৰহণযোগ্য নহয়। আনহাতে সৰ্বেশ্বৰ বৰুৱাদেৱে কোৱাৰ দৰে ৰত্নাৰায়ণ সত্যনাৰায়ণৰ হয়তো বিৰুদ বা অন্য নাম আছিল আৰু এই যুক্তিয়ে সবাৰো গ্ৰহণযোগ্য হ'ব যেন লাগে। তেওঁ সম্ভৱতঃ কমতাপুৰৰ কোনো এজন ৰজাক পৰাস্ত কৰিছিল আৰু সেইবাবে তেওঁ কমতাপুৰত ৰাজত্ব কৰিছিল বুলি বুৰঞ্জীত লিখা হৈছে।

**ঐতিহাসিক স্মৃতিচিহ্ন** ঃ চুতীয়াসকলৰ সভ্যতা-সংস্কৃতিৰ অধ্যয়নত ঐতিহাসিক স্মৃতিচিহ্নবোৰেও যথেষ্ট তথ্যৰ যোগান ধৰে। চুতীয়া ৰাজ্যৰ অন্তৰ্গত ভীষ্মক নগৰ, ৰুক্মিনী নগৰ, পৃথিমী নগৰ, ইটানগৰৰ ইটাদূৰ্গ, লোহিত জিলাৰ মাটিৰ দূৰ্গ, ভালুকপুঙৰ দূৰ্গ, আলিবাট, পুখুৰী ইত্যাদিৰ ভগ্নাৱশেষে তেওঁলোকৰ সভ্যতা-সংস্কৃতিৰ সুন্দৰ আভাস দিয়ে। ঠিক সেইদৰে কেঁচাইখাঁতী বা তাম্ৰেশ্বৰী গোসাঁনীৰ মন্দিৰ আৰু সেই মন্দিৰৰ

---

[১২৪] মহেশ্বৰ নেওগ, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ৯৬-৯৭।



ওচৰৰ শিৱলিঙ্গ, মালিনীথান, বুঢ়া-বুঢ়ী থান, বলিয়াবাবাৰ থান আদিৰ ধ্বংসাৱশেষ, ঘাৰমৰা সত্ৰত সংৰক্ষিত চুতীয়া ৰজা প্ৰদত্ত সা-সামগ্ৰীবোৰ, হাৰ্হি দেৱালয়, বাসুদেৱ থান, পঞ্চানন দেৱালয়, নীল দেৱালয় আদিত থকা প্ৰাচীন কালৰ মূৰ্তি, বলিকটা দাকে ধৰি অন্যান্য সা-সামগ্ৰী আৰু সেইবিলাক পবিত্ৰ স্থানত অতীতৰপৰা বৰ্তমানেও প্ৰচলিত সাংস্কৃতিক পৰম্পৰাই চুতীয়া ৰাজ্যৰ ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ ইঙ্গিত বহন কৰে।

অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ মিচিমি পাহাৰৰ পাদদেশত ভীষ্মক নগৰ নামে জনাজাত ঠাইত প্ৰাচীন কালৰে কিছুমান ভগ্নাংশ পোৱা গৈছে। এইবোৰৰ ভিতৰত এটা দূৰ্গ বা অট্টালিকাৰ ভগ্নাংশ উল্লেখনীয়। এই ঠাই সদিয়াৰপৰা ৪০ কিঃমিঃ উত্তৰ-পূৱত আৰু ৰ'য়িঙৰপৰা ২৪ কিঃমিঃ দক্ষিণ-পূৱত অৱস্থিত।[১২৫] ১৮৪৮ খ্ৰীঃত উজনি অসমৰ পলিটিকেল এজেন্ট হেমিল্টন ভেট্চে (Hamilton Vetch) মেজৰ এচ্. এফ্. হানেই (S.F. Hannay) আৰু কেপ্তেইন ই. এফ. স্মিথ (E.F. Smith)ক লৈ প্ৰথম এই ঠাই পৰিভ্ৰমণ কৰে। তেওঁলোকে ইয়াত অৱস্থিত বিশাল পৰ্বত-দূৰ্গ আৰু শিল আৰু বালিশিল (sandstone) ৰে নিৰ্মিত ইয়াৰ চাৰিওফালৰ দেৱালৰ বিৱৰণ দি থৈ গৈছে। এই বিৱৰণ মতে, এই শিলবিলাক ১০ ৰ পৰা ৮ ইঞ্চি ডাঠ, এফুট বহল আৰু ২০ ইঞ্চি দীঘল। শিলবোৰ অলপ খহটা কিন্তু সমান আকাৰত কটা। শিলৰ ওপৰত মিহি-মিহি ইটা গাঠি দিয়া হৈছে। কোনো কোনো চপৰা ইটা ৮x৫ ইঞ্চি আৰু কোনো কোনো চপৰা ৬x৪ ইঞ্চি জোখৰ। ভঙা দেৱালখন কোনো কোনো ঠাইত পাঁচফুট ওখ আৰু সেই দেৱালৰ মাজে মাজে ফুটা দেখা যায়। সম্ভৱতঃ এই ফুটাবিলাক ধেনুৰ কাঁড় আৰু যাঠী পাৰ হ'বলৈ কৰা হৈছিল। ফুটাবিলাক এতিয়াও ভাল অৱস্থাতে আছে। ইটা আৰু শিলবিলাক জোৰা লগাবলৈ কোনো চিমেণ্ট বা প্লাষ্টাৰ লগোৱা হোৱা নাছিল। সদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ দেৱালৰ লগত এই দেৱালৰ মিল দেখা যায়।[১২৬]

১৯০৫ চনত টি ব্লক (T. Bloch) চাহাবে এই দূৰ্গ পৰিভ্ৰমণ কৰি ইয়াৰ দেৱালত থকা জন্তু, চৰাই আৰু মানুহৰ প্ৰতিকৃতি থকা আৰু লগতে ফুল আৰু জ্যামিতিক নক্সাৰ কিছুমান খাপৰি ইটা (tiles) সংগ্ৰহ কৰিছিল।[১২৭] তেওঁৰ পিছত অৰুণাচল প্ৰদেশ চৰকাৰৰ গৱেষণা বিভাগৰ বিষয়া শ্ৰী এল. এন. চক্ৰৱৰ্ত্তী (L.N. Chakravarty) আৰু ড° ৰাই. এন. ৰাইকৰ (Y.N. Raikar)ৰ পৰিচালনাত ভীষ্মক নগৰত যি খননকাৰ্য চলিছিল তাৰ

---

[১২৫] **Gazetteer of India, Arunachal Pradesh, Lohit District**, (ed.) S. Dutta Choudhury, Government of Arunachal Pradesh, Shillong,1978, p. 38.

[১২৬] S.F. Hannay, 'Notes on Ancient Temples and other remains in the vicinity of Suddyah, Upper Assam', JASB, June, 1848; H. Vetch, 'A very Extensive Fortress', cited in Verrier Elwin, **India's North-East Frontier in the Nineteenth Century**, London,1962, p. 7.

[১২৭] Cited in **Gazetteer of India, Arunachal Pradesh, Lohit District**,p.38.

পৰিশিষ্ট চ

# Notes on the Chutiyas of Upper Assam

(by Lieutenant E. T. Dalton)

There is extant an ancient chronicle in the Hindu Assamese language and character which treats of the early history of the Chutiyas and the establishment of their government at Sadiya, but it gives no dates, and, as it agrees in all particulars upon the traditions I have elsewhere met with it, may merely be a compilation from them. These traditions are presereved among the Miris, the Deoris, who were the Chutiya priests (and amongst whom alone remnants of the ancient language and customs of the race are still preserved), and by some few of the Chutiyas who now call themselves Hindu Chutiyas; but of these the generality have become so completely amalgamated with the Assamese Hindu population as to have lost all traces of their ever having formed a separate class.

(The auther then discusses the possible connection between the Chutiyas and the tribe of Miris known as Chutiya Miri.)

The Deoris served as priests at four different temples, all situated above the present station of Sadiya; at three of which a yearly human sacrifice was offered, and at the fourth a white buffalo. Latterly, these sacrifices have been offered to the Hindu goddess Durga; but had the temples or shrines been originally of Hindu origin, I can scarcely suppose that the rites would have been committed to the hands of people so impure in their habits (according to the Hindu notions) as the Deoris. It seems more probable that a system already in active operation, and of which the religious observances had gained too strong a hold on the minds of the people to be easily abolished, was by the addition or



alteration of a few names and ceremonies incorporated with the Hindu.

This is corroborated by all that is recorded in Ahom history concerning the temple, for it is related that some Brahmans moved the king to send one of their members to the temple to superintend the rites; and, on his doing so, that the Deoris would not for a long time admit the Brahman or alter their ceremonies according to his instructions. Eventually they consented to admit some innovations, but they continued also their own customs and rites, declining the Brahman's assistance or interference; he was, however, allowed to perform apart a puja of his own during the season of the sacrifices.*

The chief and oldest of the shrines was the Tamar Ghar, or copper temple, which still exists in ruins and was lately visited by Captain Vetch. It is described as a small stone building, nearly square, built without cement, the stones joined by iron pins not clamped. The roof was of copper, but it has fallen in, and now lies there. The interior is eight feet square. The whole is enclosed within a brick wall 130 feet by 200. Near the grand cntrance in the western wall is a small stone *tripod* (remainder illegible).

Here human sacrifices were yearly offered till a very recent date; but latterly the Ahom kings gave for the purpose malefactors who had been sentenced to capital punishment. Suitable victims were not, however, always to be obtained of this description; and then a particular *khel* or tribe of the king's subjects were bound to provide one, for which they had certain privileges and immunites accorded to them, such as being exempted from the payment of ferry and market duties; and were thence called 'Sarh' of free.

For it was necessary that the victims to be immolated should be of pure caste and perfect form, the slightest blemish or multilation, even the boring of an ear, rendering them unfit to be offered to the Gosaini, or goddess. Brahmans and members of the royal family were exempted as a privilege. Doms, Haris,

* This is much the attitude of the Deoris to Hinduism at the present day.

Musalmans, and women were excluded as unfit.

For some time preceding the sacrifice the victim to be immolated was detained at the temple, where he fared sumptuously, till in suffuciently plump condition to suit the supposed taste of the Gosaini. On the day appointed, he was led forth magnificently attired and decorated with gold and silver ornaments to be shown to the multitude that assembled on the occasion, then withdrawn and led by a private path trodden only by the officiating priests and their victims to the brink of a deep pit, where he was divested of his fineries and decapitated, so that the body fell into the pit. The head was added to a heap of ghastly skulls that were piled in view of the shrine.

These sacrifices appear to have continued till the subversion of the Ahom Government by the Burmese, when the Deoris abandoned their ancient possessions in the vicinity of the copper temple, to the fearful rites of which they had for upwards of six centuries administered, with the slaughter by their own accounts of some six hundred human victims.

The copper temple appears to have been respected by and had its votaries amongst all the hill tribes in the vicinity, as well as by the Ahom and Hindu population of Assam. It was also visited by pilgrims, who brought offerings from regions far more remote, perhaps from Tibet and China, as well as from Hindustan.

In the fragment purporting to be a history of the Chutiyas to which I have alluded, all the proper names and titles appear to be of Sanskrit origin; but whether this is owing to the Chutiya kings having appropriated or copied the titles of the potentates they conquered and came in contact with,or to the fertile imagination of the compiler, I know not.

According to this authority and from the existing traditions it appears that the original seat of the Chutiya race was somewhere near the sources or bordering on the hill course of the Subansiri river. They are described as occupying, like the Abors and hill Miris of the present day, large villages on lofty mountains having



no dependence on each other and acknowledging no leaders till the following circumstances occurred : Bibar, a simple inhabitant of one of these villages situated on a mountain called Swarnagiri, had a dream in which Kubir, the god of fortune, appeared and recommended him to be reconciled to his wife, with whom he had quarrelled, as she would shortly present him with a son, who was destined to make a great noise in the world. Kubir, moreover, directed him to a certain tree under which he should find a treasure which he was to appropriate and preserve with the greatest care, as so long as it remained in his family, success and prosperity were insured to him and all his successors. Birbar obeyed the vision, embraced his wife, and found under the tree a shield, a sword, and a spear, and under the shield a golden cat.

These he took home and daily worshipped as his household gods, and he became a man of weight and note among his tribe. In due time the promised heir was born, who even in his youth was gifted with so much courage, activity, strength, and address as to obtain for him the leadership in all hunting parties and forays, and as he grew older, the chief direction of affairs in his own and all the neighbouring villages. - By degrees tribes more remote were forced to submit to his authority, and he assumed the proud title of Lord of the Hills. Then, at the head of a large body of followers, he descended into the valley of the Brahmaputra, attacked and defeated a king called Bhadrasen, obtained great spoils, built a fort, which he called Ratnapur, to hoard them in, and assumed the title of Ratnadaj Pal. There is nothing to show when this happened, except that it appears by the sequel to have occurred when Komati was the seat of a Government, and when Gaur was under a Hindu dynasty; consequently it should be previous to A.D. 1204, when Gaur was conquered by the Musalmans; and it is only from what follows, when we come to the name of Hudiya or Sudya, that we have any clue to the situation of this colony. It was probably one of those forts the ruins of which are yet to be seen in the north-east corner of the valley of Assam; and some, if not the whole, of

which are traditionally ascribed to the Chutiyas.

From Ratnapur the Chutiya chief marched with the intention of attacking and pillaging the dominions of a neighbouring sovereign, who is styled Naipal; but who averted the evil by a well-timed embassy with costly gifts. Ratnadaj accepted the proffered alliance, which was cemented by his union with a daughter of Naipal's. Returining with his bride to his chosen seat of government, he sought no further extension of his dominions, but directed his whole attention to the improvement of what he had acquired and to the consolidation of his power. He built a line of forts along the foot of the hills, probably to restrain the hungry barbarians, his former countrymen; made large tanks and founded temples; and, says the chronicle, with the mystic gifts of Kubir ever in his possession, his prosperity and good fortune were unrivalled.

For one of his sons named Bijaidaj Pal, when of age, Ratna sent an embassy to Komateshar to demand a princess of that family in marriage. His request was treated with scorn by the Lord of Komati; upon hearing which, Ratna once more assembled his forces and marched such an army towards Komati, having had, it is said, a road constructed all the way for the purpose, with forts at certain intervals to protect the line and keep up his communications, and a large fort at the head of the road within dominions of Komati, that Komateshar, astonished at the energy of his measures and the rapidity of their execution and quite unprepared to resist such an invasion, despatched the fairest of his daughters with a large train of most beautiful girls of his court to meet and turn aside the wrath of this formidable chieftain.

Ratna accepted the apology and withdrew his troops; but, whilst on this expedition, he formed the acquaintance and cultivated the friendship of the King of Gaur; having paid, it would appear, a lengthened visit to the Gaur court, and left there one of his sons to be cducated. In proof of the friendly relations that were established between the two sovereings, it is related that the King



of Gaur continually supplied Ratna with jars of water of the Ganges for his private ablutions, and that Ratna sent in return to the King of Gaur for a similar purpose a supply of water drawn from Brahmakund itself, the sacred source of the Brahmaputra.

To the great grief of the King of Gaur, the young Chutiya prince, who had been confided to his care, and whom he treated and loved as a son of his own, fell sick and died. Not knowing how the Chutiyas disposed of their dead, he sent the corpse to Ratna with a message of condolence, which was received by that king whilst engaged in building a new city, to which he thence gave the name of "Pat Hodya" - the place where the corpse was given, and made Sudya.

Ratnadaj was succeeded by his son Bijaidaj Pal, of whom and the three kings who reigned after him, Bikramadaj Pal, Gurudaj Pal and Dharmadaj Pal, nothing but the names are recorded. The next in succession is Karmadaj Pal, who in the decline of life obtained by his prayers, what had been denied to his virility, the blessing of a child to comfort his old age, a girl, who was thence called "Sadhuni", "the solicited, prayed for". The old man lived to see the hand of this fair princess sought by many suitors, so many, indeed, that he was embarrassed on whom to bestow the favour; till one day a flying squirrel was seen hovering over Sadiya, and the king offered his daughter's hand to any one who could bring it down with an arrow. A young Chutiya of ignoble birth was successful and claimed the prize. The proud princess shrank from the touch of the baseborn archer, but consented to the union on her father resigning in their favour his throne, his wealth, and the sacred gifts of Kubir. Her husband commenced his reign; by assuming the title of Niti Pal, or preserver of justice; but behaved so ill, demeaning himself with low people, his former associates, raising them to favour and disgracing the old respectable families of the Chiefs, while his kingdom became the home of confusion, anarchy and misrule, that his subjects called him Aniti Pal, the fosteret of injustice. The Chutiya chronicle abruptly ends here;

and nothing further is known or recorded of the Chutiyas, except their final conquest by the Ahom kings.

In the Ahom chronicle it is stated that the king Chukumpha first sent two of his generals against the king of Sudiya, upon which the latter offered to pay tribute if allowed to remain in peace.

Upon this being made known to Chukumpha, he demanded as preliminaries to negotiation, the surrender of the mystic gifts of Kubir, the Chutiya queen, and twelve elephants. The Chutiya king was prepared to give the elephants and resign his queen, but Kubir's gifts he refused to part with and, war being the immediate result, the Ahoms, after a severe struggle, possessed themselves of all Chutiyas strongholds about Sadiya. The Chutiya king himself narrowly escaped capture or death, fled with his family and followers into the hills, and took up a position on a mountain called Indro Pal. The Ahoms with some difficulty followed and drove him from this position after a short engagement. The Chutiyas retreated and made another stand on Chandragiri. The enemy still pursued, but met with a reverse, which caused them to halt or return for reinforcements. These being received, they again assailed the Chutiyas position and carried it. The Chutiya king was slain, the ladies of his family and all his treasures fell into the hands of the victor and thus terminated about A.D. 1370 the rule of the Chutiyas after an existence of about 200 years.

The Ahom kings are said to have planted colonies of the conquered Chutiyas in different parts of Assam, a wise policy, to destroy their nationality and prevent their uniting to recover their independence.

(The author goes on to describe the physiognomy and habits of the Hindu Chutiyas.)

**Remarks by the late Mr. H. F. Kellner on the foregoing paper**

I have carefully compared Lieutenant Dalton's account of



the Chutiyas with the Bansabali which I obtained from Amrit Narain. The two accounts agree in most points, but Lieutenant Dalton does not mention the tradition that Kubir was the father of Ratnadaj Pal, he having treated Birbar's wife, Rupavati, after the same fashion as Siva, the wife of Hirya Mech. Kubir accomplished his purpose by appearing to Rupavati in the likeness of her husband.

Lieutenant Dalton only mentions five kings as having reigned between Ratnadaj Pal and Niti Pal; my chronicle makes mention of several others, and likewise gives the date of their ascent to the throne and of their death. This list I subjoin :

| | | | | **Reign.** |
|---|---|---|---|---|
| 1. | Ratnadaj Pal *alias* | ... | Saka 1146 | 80 years |
| | Gaurinarain | | A.D. 1223 | |
| 2. | Bijaidaj Pal *alias* | ... | Saka 1226 | 61 years |
| | Sibnarain | | A.D. 1304 | |
| 3. | Bikramdaj Pal *alias* | ... | Saka 1287 | 34 years |
| | Jagatnarain | | A.D. 1365 | |
| 4. | Garudaj Pal *alias* | ... | Saka 1321 | 45 years |
| | Pramatnarain | | A.D. 1399 | |
| 5. | Sansadaj Pal *alias* | ... | Saka 1365 | 44 years |
| | Harinarain | | A.D. 1444 | |
| 6. | Mathuradaj Pal *alias* | | ... | Saka 1410 |
| 41 years | | | | |
| | Galaknarain | | A.D. 1488 | |
| 7. | Jaidaj Pal *alias* | ... | Saka 1451 | 48 years |
| | Brajnarain | | A.D. 1529 | |
| 8. | Karmadaj Pal *alias* | ... | Saka 1499 | 54 years |
| | Satyanarain | | A.D. 1577 | |
| 9. | Dharmadaj Pal *alias* | | ... | Saka 1553 |
| 42 years | | | | |
| | Dhirnarain | | A.D. 1631 | |
| 10. | Niti Pal *alias* | ... | Saka 1595 | 2 or 3 years |
| | Sadhaknarain Singh | | A.D. 1673 | |

The chronology here set down is certainly incorrect, but I

think we may take it as a near approach to the truth as to the rise of the Chutiya dynasty, but not as to its decline.

In the Chutiya chronicle, Phrachengmung, or Phuchengmung Bor Gohain is mentioned as the leader of the Ahom army by which the Chutiyas were subdued Now, Phrachengmung was Bor Gohain in the reign of the Ahom Raja Chuhungmung and was killed in a great battle fought between the Ahoms and Kacharis near Koliabor. The conquest of the Chutiyas must therefore have occurred about the year 1425, of the era of Saka, or A.D 1503. Thus, taking the year 1146 S. as the date of the rise of the Chutiyas the duration of the dynasty will be 270 years.

Mr. Robinson says that the conquest of the Chutiyas was made by Chutupha, the son of Chakangpha. This would make the date of the conquest about 1290 S.E. or A.D. 1368. But this does not tally either with the Assam Buranji or the Chutiya chronicle. In the former it is mentioned that Chutupha was killed by the Chutiya Raja, who had persuaded him to make an excursion with him on the water Chorabar, and treacherously killed him. By the Assam Buranji it would appear that the successor of Chutupha, Tyas Khamti, sent a force to seize the Chutiyas, but that he escaped into the hills. The final conquest was made by Chuhungmung.

In Lieutenant Dalton's account Karmadaj Pal is mentioned as the father of the girl Sadhani. In my Bansabali Dharmadaj Pal is said to have left an infant son, also named Sadhak Narain Singh. As Sadhak Narain was quite an infant, Niti Pal was appointed Jubraj. It is mentioned too, that when Dharmadaj made over the gifts of Kubir to his daughter she found, on opening the box in which the golden cat had been deposited, that it had disappeared; on her refusing all consolation for her loss, her husband caused another to be made, which he presented to her. By the Chutiya accounts it would appear that in the first conflict with the Ahoms they were victorious, but were subsequently conquered as much by guile as by force. Niti Pal is said to have destroyed himself and his wife Sadhani by leaping from the top of a mountain, dragging her with



him. Sadhak Narain Singh was taken by the conquerors, but the Ahom Raja, being unwilling to incur the guilt of "Sisubadh" spared his life, and subsequently gave him all the country lying between the Rotas north and east the Dhansiri on the west, the Kubir Ali on the north, and the Brahmaputra on the south. He also gave him twelve families of his former subjects as his companion and attendants. In consideration of this grant the Chutiya Rajkhoa or Baruah was no longer Raja, agreed to pay to the Ahom Raja 2 tolas of gold, Rs. 80 in silver and 40 thungas. Subjoined is a list of the descendants of Sadhak Narain down to Chandranarain Barua, who died a short time since. I need only give the Saka era.

| | | | **Years** |
|---|---|---|---|
| Sadhak Narain | ... | 1598 | 50 |
| Dhaj Narain | ... | 1643 | 14 Held the office of Rajkhoa at Gauhati. |
| Dharja Narain | ... | 1662 | 1 |
| Gopal Narain | ... | 1663 | 9 |
| Jai Narain | ... | 1672 | 2 Was merely Barua of Chutiya |
| Prem Narain | ... | 1674 | 1 |
| Kam Narain | ... | 1675 | 1 |
| Kamal Narain | ... | 1676 | 2 |
| Ram Narain | ... | 1678 | 18 |
| Rup Narain | ... | 1696 | 1 |
| Bir Narain | ... | 1697 | 34 |
| Chandra Narain | ... | 1731 | 20 Died in 1751, A.D. 1829. |

This chronology is evidently as apocryphal as that of the former list. From Dharja Narain to Kamal Narain we have six generation in sixteen years and yet Kamal Narain died leaving a son. My idea is that the chronicler was not acquainted with the date of the conquest and lengthened the reigns of the Chutiya Rajas to make the length of the dynasty correspond with his notion of the final conquest. Having done this, it become necessary to make the lives of the Chutiya Baruas shorter than they really were and this he has done.

There is a story current that the Chutiya Baruas are not really the descendants of the Chutiya Rajas, but of a family who had a high office under them. How far this may be true, I can not say.

The Chutiyas in these parts are far from a numerous class but they are to be found in the Duars as well as in Darrang. They are now all Hindus, and by constant intermarriges with Hindu families have lost all the distinetive characters of the Chutiya race. They style themselves Hindu Chutiyas. They know nothing of their original language.

## Notes

The chronicles upon which these accounts are founded appear to have been drawn up in the last century, probably by some adherent of the Chutiya Baruas or some other family of Hindu Chutiyas, at a time when that branch of the race had long abjured their original religion, and were anxious of identifying themselves with the traditions of Hindu monarchy. Not much reliance can be placed on the highsounding names of the kings; the chronology is obviously incorrect; and some of the incidents related may only be recent embellishments. Still it is probable that the history is founded in the main on authentic traditions. I regret that I have had no opportunity of asc-ertaining how far the chronicle corresponds with the traditions of the Deoris. But I have heard from them the story of how the Chutiya princess Sadhuni was won by the young archer (Niti Pal). The princess rejected him, not because he was base born, but because he had ringworm. He managed to get himself cured; but was always known as the Ringworm Raja. Probably enquiry would show that the other incidents of the chronicle are preserved as traditions among the Deoris in a similar modified form.

Dalton's identification of the Chutiyas with the Chutiya Miris appears to be a mere speculation. The evidence of language is altogather against such a view. I believe that the Chutiya Miri



are so called, merely because they came down from the hills in the time of the Chutiya kings. They are certainly much more ancient immigrants into the plains than the Ayongia, Shaiongia, Dambukial and other tribes of Miris. Dalton's theory that the original seat of the Chutiyas was in the hills bordering on the Subansiri also appears to be a very dubious one. At the time he wrote, the human sacrifices of the Deories had been discontinted within human memory; and his account of the ceremoney is probably accurate and authentic.

Source ; W.B. Brown,
An outline Grammar of
The Deori Chutiya Language;
— Appendix, pp.75-84

## পৰিশিষ্ট ছ

# চুতীয়া-কৃষ্টি

বেণুধৰ শৰ্মা

কৃষ্টি সংস্কৃতিৰ ব্যাখ্যাটো একাধিকবাৰ মুকলিকৈ দিয়া হৈছে যদিও, আকৌ দোহাৰি কওঁ যে কৃষ্টিৰ গণ্ডী ঠেক আৰু সংস্কৃতিৰ গণ্ডী বহল। গাইগুটীয়াকৈ মানুহ একোজন। স্বভাৰ চৰিত্ৰ আৰু চিন্তা আলোচনাৰ ধাৰাটো যেনেকৈ তেওঁৰ নিজা, ধানটোৰে প্ৰতি থকা কণটোৰ সোৱাদটো যেনেকৈ ধানটোৰ নিজা, এক গোত্ৰ বা গোষ্ঠীৰ পৰা বাঢ়ি অহা সতি-সন্ততিবিলাকৰ মাজত পুৰুষ পৰম্পৰাই চলি থকা নীতি-নিয়ম, আচৰণ-বিচৰণ, ধৰ্ম-সংস্কৃতিৰো তেওঁবিলাকৰ তেনেকৈ নিজা। এই নিজা নিজা গুণেই হ'ল কৃষ্টি। আৰু যেতিয়া সেই গুণসমূহ ভিন ভিন জাতিৰ চাকত গঢ় লৈ মোট সলাই ন ৰূপ লয় ই কৃষ্টি গুচি হয় সংস্কৃতি। কৃষ্টি গাই গুটীয়া, সংস্কৃতি সমূহীয়া।

বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা পায়ো যিজন শিক্ষিত লোকে লোকৰ ৰোষ নুবুজে, দেশ শাসনৰ উচ্চ বিষয়ত অধিষ্ঠিত হৈও যিজন শিষ্টাচাৰ-বহিৰ্ভূক্ত হয়, সামাজিক আচাৰ ব্যৱহাৰত যিজনে চলিত ধাৰা-দস্তুৰ মানি নচলে, সেইজন যিমানেই কি বিদ্যাৱন্ত বা ধনৱন্ত নহওঁক তেওঁক কেতিয়াও সভ্য বা সংস্কৃতিবান বুলি ক'ব নোৱাৰি। হৃদয় ৰাজ্যখন সুন্দৰৰ প্ৰতিৰূপ কৰাটোৱেই সংস্কৃতিৰ মুখ্য লক্ষ্য। মুঠতে ক'বলৈ হ'লে, বুৰঞ্জী, ভৌগোলিক অৱস্থান, জাতিগত সংমিশ্ৰণৰ পৰা হোৱা অভিজ্ঞতা আৰু ব্যক্তিগত শিক্ষা ৰুচি অভিৰুচিৰ দ্বাৰাই পৰিশোধিত পৰিমাৰ্জিত ভাৱে উপলব্ধ মানৱীয়তাই হ'ল সংস্কৃতিৰ চৰম নিদৰ্শন।

এইখিনিতে, এইযাৰ কথাও কোৱা ভাল যে, ধৰ্ম আৰু সংস্কৃতি দুটা বস্তু। সংস্কৃতিৰ লগত ধৰ্মবিশ্বাসৰ কথা আহে। সেই বুলি সংস্কৃতি ধৰ্ম হ'ব নোৱাৰে। ধৰ্মাচৰণত একোটা জাতিৰ পন্থা সুকীয়া হ'লেও, সংস্কৃতিৰ ফালৰপৰা সেই পন্থা কেতিয়াও সুকীয়া হ'ব নোৱাৰে। ধৰ্ম ঔষধৰ উপাদান, সংস্কৃতি-ভাৱনা তাত দিয়া অনুপানৰ মকৰধ্বজ বা সৰ্বোষধি।

আমাৰ বুৰঞ্জী ইমান প্ৰাচীন যে তাৰ হাড়ত বনেই গজিল। অৰ্থাৎ বুৰঞ্জীৰ পম খেদিব পৰা সকলো ঠেক, আতি-গুৰি আৰু তথ্য প্ৰমাণ একেবাৰেই বিলুপ্ত হৈ গ'ল।



তাহানিখনেই, সকলো কথা অজ্ঞাত হৈ থকা দিনতেই, ভাটীয়লীয়া ঐতিহাসিকসকলে আমাৰ বিষয়ে পুঙ্খানুপুঙ্খৰূপে একো নজনাকৈয়ে একোটা অলৌকিক ধাৰণা বা সিদ্ধান্ত কৰি গ'ল তাকেই আজি স্বাধীনোত্তৰ দিনটো আমি খামোচ মাৰি ধৰি আছোঁ। অকল ধৰি থকাই নহয়, সেই ধাৰণাৰ বিপৰীতে কোনোবাই কিবা এটা কলেও আমি জাঙুৰ খাই উঠোহঁক। আজিৰ আলোচ্য বিষয় চুতীয়াৰ আতি-গুৰিলৈকে নেচাই কেলেই?

চুতীয়া কৃষ্টিৰ কথা অৱতাৰণা কৰোঁতে চুতীয়া শব্দটো চুতীয়া বা চুটীয়া নে চুতীয়া তাক নিৰ্ণয় কৰিবলৈকে বহুত বেমেজালিত পৰিব লগীয়া হয়। হেনে, ব্ৰাউন, ডেল্টন, কালাঘান, ৰবিণজন গেইট, কেলেমাৰ আদি ছাহাবসকলে যি মত লেখি থৈ গ'ল সেই মতেই আমি চলি আছোঁ। খ্ৰীষ্টাব্দৰ ত্ৰয়োদশ শতিকাৰ আগছোৱাত লুইতৰ উত্তৰ পূব খণ্ডত লেখা-পঢ়া কৰা কোনোবা এটা সভ্য জাতি আছিল যদি সেইটোৱেই চুতীয়া জাতি। লিপি বা আখৰ ব্যৱহাৰ কৰা জাতিটোৰ নামটো অন্ততঃ সঠিক হোৱা একান্ত বাঞ্ছনীয়। চুতীয়া নামৰ আচল অন্বয়টো নো কি এতিয়া তাক চাকি চোৱা যাওঁক।

চুতীয়া বুৰঞ্জী পোনেই ছপাই প্ৰকাশ কৰোতা ৰবিঞ্জন ছাহাবে 'অৰুণোদয়' কাকতত চুতীয়া ৰজাৰ বুৰঞ্জী এখন পোন প্ৰথমেই প্ৰকাশ কৰায়। তাৰ পাছত তেওঁ লেখে, 'চুতীয়াজাতি আদিতে সোৱণ সিৰি নৈৰ গুৰিত বাস কৰিছিল'। সেই নৈখন য'ৰ পৰা ওলাইছে তাত এটা হ্ৰদ বা সৰোবৰ আছে। সৰোবৰৰ নামটো আজি কালি পতালি বুলি জনা যায়। পতালিক সেই অতীজতে পথ্যাস্তস্তি বোলা হৈছিল। পথ্যাস্তস্তিৰ আন এটা নাম সৰস্বতীও। পথ্যাস্তস্তিৰ পৰা এখন সৰু নৈ বৈ আহিছে। পথ্যাস্তস্তিৰ নামানুসৰি এই নৈখনৰ নাম সৰস্বতী। ৰায় বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালা ডাঙৰীয়াই এই সৰস্বতীকে স্বতী সৰোবৰ বুলি কৈছে। - 'সৰঃ মানে সৰোবৰ বা হ্ৰদ। সৰস্বতী বুলিলে স্বতী সৰোবৰ বুজায়।' স্বতী সৰোবৰ এতিয়া উত্তৰ লক্ষীমপুৰৰ পথালিপামত আছে।' আগৰৱালাই বেদৰ বচন আৰু বহুত পণ্ডিতৰ মতৰ দ্বাৰাই প্ৰমাণ কৰিছে যে এই স্বতী নদীৰ পাৰত আদিতে চুতীয়াৰ বাসস্থান থকাটো নিৰ্ঘাট সত্য। সেইবাবে তেওঁ ঠাৱৰ কৰিছে চুতীয়া জাতিয়ে নিজকে স্বস্তিয়া (প্ৰথ্যাস্বস্তি) বা স্বতীয়া বুলি চিনাকী দিছিল। স্বতীয়া শব্দকে এতিয়া মানুহে ভুলকৰি চুতীয়া বুলি লেখিবলৈ ধৰিলে। আচলতে স্বস্তীয়া বা স্ততীয়া শব্দহে শুদ্ধ, চুতীয়া অশুদ্ধ। দৰং জিলাত থকা চতীয়া শব্দই ইয়াৰ সাক্ষ্য। গতিকে, স্বতী নৈৰ পাৰত থকা বাবেই চুতীয়া জাতিৰ নাম চতীয়া বা চুতীয়া হ'ব এই কথা ঠিক।

খ্ৰীষ্ট ওপজাৰ সহস্ৰাধিক কালৰ পৰা এই স্বতী নৈৰ পাৰত বাস কৰা চুতীয়াবিলাকৰ সভ্যতা সংস্কৃতি ভৈয়ামৰ ফালেই যে অকল বিয়পি পৰিছিল এনে নহয়, সুদুৰ মধ্যপ্ৰদেশ পৰ্যন্ত পাইছিলগৈ। সৰস্বতী নৈৰ পাৰত কৰ্দম ঋষিৰ আশ্ৰম আছিল। চুতীয়া ৰাজ ভীষ্মকৰ নগৰৰ নাম আছিল কুণ্ডিল বা কুণ্ডিন। কুণ্ডিল ঋষিৰ আশ্ৰম আছিল। দেখিয়েই তাৰ নাম কুণ্ডিল। কুণ্ডিলৰ পৰা কৌণ্ডল্য গোত্ৰৰ উৎপত্তি। সেইদৰে মৃদ্গল

ঋষিৰপৰা মৌদগল্য, শাণ্ডিলৰ পৰা শাণ্ডিল্য গোত্ৰ উদ্ভৱ হৈছে। দিপাং, দিবাং, সোৱণশিৰী আদি নদীয়ে আগুৰি থকা অঞ্চলটোৱেই যে এসময়ত বৈদিক ভাষা আৰু তাৰপৰা বিকশিত সাংস্কৃতিক ক্ৰিয়া-কলাপৰ ৰহঘৰা আছিল, তাৰ প্ৰমাণ দেউৰীচুতীয়াৰ পূজাপাটল, তাম্ৰেশ্ৰৰী মন্দিৰ অসমীয়া আৰু কোল ভাষাত প্ৰচলিত সাঁথৰ আৰু মাজত চলি থকা নিচুকণি গীততেই ফট-ফটীয়াকৈ জিলিকি আছে।

আদিতে একে ঠাইৰ হ'লেও, কালৰ সোঁতত পৰি চুতীয়াবিলাকৰ ঠাল-ঠেঙুলি বাঢ়ি বহুত খেল বা সম্প্ৰদায় হ'লগৈ। তাৰ ভিতৰত দেউৰী, বিহীয়া, বুৰুক, বৰাহী প্ৰভৃতি কেইটামান আজিও জীয়াই আছে। এইবিলাকো একোটা গোষ্ঠীত পৰিণত হৈছেগৈ। আমাৰ কথাতে কয় বোলে -

"আঁহ লুকাব বাঁহ লুকাব
গালৰ শোতোৰা শুতুৰি ক'ত লুকাব?"

ঠান-ঠান হৈ বেলেগ-বেলেগ হ'ল যদিও, চুতীয়াৰ স্বভাৱজ আদি ধৰ্ম ক'ত লুকাব? দেউৰী-চুতীয়াই পূজা কৰা গিৰা-গিৰাছীয়েই, প্ৰাক্-বৌদ্ধ যুগীয়া চুতীয়াসকলৰ আদি দেৱ-দেৱী। 'ব্ৰহমাৱৰ্তৰ বহিঃস্বাৰ্তী নগৰতে এই পূজাৰ বেদী আছিল। "ব্ৰহমাৱৰ্তই ভাৰতলৈ অহা আৰ্য দেৱ আৰু ব্ৰাহ্মণসকলৰ উপনিৱেশ আছিল।" বৰ্হিস্বাতী আন একো নহয় - স্বতী নৈৰে এক অংশ।

প্ৰত্যেক চুতীয়া ঠাল-ঠেঙুলীৰ পৰা বগাই অনুসন্ধান কৰি যাব পাৰিলেই চুতীয়া বৈশিষ্ট্যপূৰ্ণ ঐতিহ্যৰ চমকপ্ৰদ ৰূপটো দেখিবলৈ পাম। এনে চমক লগোৱা সিদ্ধান্ত এটা প্ৰতিপন্ন কৰিবলৈ কোনোবা এজন চুতীয়া ডেকা আগবাঢ়ি আহিবনে?

১৯৫০ চনৰ ক্ষয়ঙ্কৰী বৰভূঁইকপৰ পাছত তাম্ৰেশ্বৰী মন্দিৰৰ ভগ্নাৱশেষ নিঃশ্চিহ্ন হ'ল যদিও ১৮৪৮ চনত কেপ্টেইন হেনে ছাহাবে লেখি থৈ যোৱা বিৱৰণে আমাক পৈ-পৈকৈ সোঁৱৰাই আছে যে চুতীয়া জাতি উলামূলা জাতি নহয়। ৰূপেৰে বন্ধোৱা দাঁতৰ ইন্দ্ৰৰ ঐৰাৱত মূৰ্তি শিলত কাটিব পাৰিছিল চুতীয়াই, মন্দিৰৰ বাটচ'ৰাত ফুলজাৰি কাটিছিল চুতীয়াই, ছটীয়া শিলত ম'ৰা চৰাই, গৰুড়ই সাপধৰা, বিষ্ণুমূৰ্তি, শিৱ-পাৰ্বতীৰ মূৰ্তি চঁচকৈ কাটি দেখুৱাইছিল চুতীয়াবিলাকেই। ৰাজখনিকৰী কামতো চুতীয়াৰ শিল্প অননুকৰনীয় হৈয়ে আছে। কেঁচাইখাতী গোসাঁনীক পূজা কৰোতা চুতীয়াবিলাকৰ ধ্যান ধাৰণাও কেঁচাইখাতীৰ দৰেই উগ্ৰতেজী আছিল। 'তামৰ ছাল লগোৱা মন্দিৰ চুতীয়াৰ দেশতেই হে আছিল।' কিন্তু তাম্ৰেশ্বৰী নামটোৱে সঁচা-সচিকৈয়ে কেঁচাইখাতী গোসাঁনীক হে বুজায়। তিব্বত আৰু কম্বোদ বা কম্বোজৰ সভ্যতাও আৰ্যৱৰ্তৰ এইখিনিতেহে সংমিশ্ৰণ হৈছিল।

শদিয়াৰ পৰা বা চুতীয়া ৰাজ্যৰ পৰা ওলাই যোৱা যি এটা প্ৰকাণ্ড ৰাজগড় আছে, সেই গড়টো শ্ৰীকৃষ্ণই ভীষ্মকনন্দিনী ৰুক্মিণীক বিয়া কৰাই লৈ যাওঁতে কৰোৱা



বুলি কোনো কোনোৱে কয়। তাৰে এছোৱা গোহাঁই কমল আলিয়েও গ্ৰাস কৰিছে। এতিয়া জনা গৈছে যে, সেইটোৱেই নে আন কোনোবা এটাহে, ইন্দো'-চাইনাৰ পৰা গুৱাহাটীলৈকেও এটি ৰাজগড় নিৰ্মাণ কৰা হৈছিল। চুতীয়া ৰজাই গৌড় দেশলৈকে কৰোৱা কথাও সকলোৱে জানে। ৰাজগড়টো নিৰ্মাণ কৰাত সকলো কথা অমিল হ'লেও এটা কথাত মিল আছে যে সেইটো চুতীয়া মানুহৰ হতুৱায়েই বন্ধোৱা হৈছিল। সেই উদ্যোগ, পৰিশ্ৰম আৰু সংহতি চুতীয়াৰ নিমিত্তে আজি আকাশ কুসুম।

আধুনিক বুৰঞ্জী বিজ্ঞসকলৰ কেনা লগা আৱিষ্কাৰৰ সিদ্ধান্ত কিছুমান মানিব নোৱাৰি স্বৰ্গীয় ৰজনী কুমাৰ পদ্মপতি ডাঙৰীয়াই পুৰণাদিৰ প্ৰকৃত তত্ত্ব বিচাৰি স্থিৰ কৰিছে যে বৈদিক যুগৰ চুতীয়া ৰাজ্যখনেই আগৰ স্বৰ্গদ্বাৰ আছিল। সেই প্ৰসঙ্গত গৰুণ্ডে গল্পৰ মুণিক দিয়া পূৰ্বদেশৰ বৰ্ণনাৰ দ্বাৰাই তেওঁৰ মত সমৰ্থন কৰিছে। পসলুৰা বুলি উৰাই দিব নোৱাৰি। ভৌতিক, ভৌগোলিক আৰু প্ৰাকৃতিক পৰিৱৰ্তনৰ ফলত বুৰঞ্জীৰ ঘটনাৰ কোনো কোনোটো পাৰস্পৰিকভাৱে ওলোটা ওভোটাকৈ সত্য-অসত্যত পৰিণত হৈছে। সেই কাৰণে চুতীয়া ৰাজ্য যে স্বৰ্গৰ দুৱাৰ আছিল, তাক প্ৰতিপন্ন কৰাটো সময়ত একো অসম্ভৱ নহ'ব।

এই দুৱাৰেদিয়েই এচাম মানুহ স্বৰ্গৰ পৰা নামি ভাৰতবৰ্ষৰ মাজলৈ ভটীয়াই গৈছিল। সেইবিলাকে লগত লৈ যোৱা এই দুৱাৰ বাসীসকলৰ কৃষ্টিটো আজি পৰিমিত জীয়াই ৰাখিছে। যি দেশত স্বতী নৈৰ পৰা যোৱা মানুহবিলাক ৰ'লগৈ, সেই দেশৰ নাম হ'ল ছোটনাগপুৰ। তাৰ নাম যে ছোটনাগপুৰ নহয়, চুতীয়া নাগপুৰ তাক ডেল্টন আৰু বাট ছাহাবে স্বীকাৰ কৰিছে। ছোট নাগপুৰীয়া মানুহে তেওঁবিলাকৰ নাম চুতীয়া বা চতীয়া আছিল বুলি ক'লত হে ডেল্টনে ছোট নহয় চুতীয়া বুলি সঁচা কথাটো লেখি গ'ল। ছোটনাগপুৰখন চুতীয়া নাগপুৰ হোৱাৰ পৰা অসমীয়া সংস্কৃতিৰ লগত তাৰ সম্বন্ধ গাঢ় হৈ পৰিল। খ্ৰীষ্টীয় সপ্তম শতিকাত যে চীনা পৰিব্ৰাজক হিউৱেন চাঙে কৈছিল - মধ্য ভাৰতৰ ভাষাৰ লগত কামৰূপীয়া ভাষাৰ মিল আছে বুলি, সেই কথাৰ মূল গুৰিটো হ'ল আমাৰ স্বৰ্গদ্বাৰত থকা স্বতীনদীৰ পাৰৰ পৰা ভাগি বা বাঢ়ি যোৱা স্বতীয়াসকল। এই স্বতীয়াৰ কৃষ্টিয়েই তাতো এটা সংস্কৃতিৰ সুঁতি হৈ পৰিল। অসমে সকলোতে স্থান মান হেৰুৱাই আহিছে। এনে দুৰ্যোগ, অৱনতি আৰু আত্মলুপ্তিৰ দিনত, ছোটনাগপুৰক আনে "আঙুলিৰ আগত লেখিব পৰা অসমীয়া চুতীয়া কিটাক" সাঙুৰিলে প্ৰাদেশিকতাৰ কুসংস্কাৰে পালে বুলি অনা অসমীয়া বহুতে হাঁহিব পাৰে। আমাৰ বুৰঞ্জীৰ ভেঁটি শকত যেতিয়া ভাৰতীয় সংস্কৃতিত আমাৰ সাংস্কৃতিক সত্বা লয় পাবলৈ বা অস্বীকাৰ কৰিবলৈ কিয় এৰি দিম?

সৰস্বতী-স্বতীৰ অৰ্থ বাক্ দেৱী ভাষা জ্ঞানৰ অধিষ্ঠাত্ৰী গোসাঁনী। ভাষাৰ পৰা ভাৱ প্ৰকাশ কৰিব পৰা হোৱা অৱস্থাতে আকাৰে ইঙ্গিতে মানুহে সাথৰ তৈয়াৰ কৰে।

সেইটো অৱস্থাতে স্বৰ্গ দুৱাৰৰ চুতীয়াবিলাক স্থানচ্যুত হৈ মধ্যভাৰত পায়গৈ। গতিকে ভাৰতীয় সংস্কৃতিৰ লগত থকা চুতীয়া সংস্কৃতিটো কেতিয়াও দলিয়াই পেলাব নোৱাৰি। স্বৰ্গদেৱ দিহিঙীয়া ৰজাৰ দিনত স্বতীয়া ৰাজ্য ভাগি ছিগি ঠানবান হ'ল। ভীষ্মক নগৰ, শদিয়া, তাম্ৰেশ্বৰী মন্দিৰ, কুবেৰদত্ত সম্পত্তি, সোণৰ মেকুৰী আদি ভগ্নস্তূপ আৰু ঐতিহাসিকৰ উৎসুকৰ বস্তু হৈ পৰিল। কিন্তু, চুতীয়া শিল্প নিদৰ্শন, সাধনী কুঁৱৰীৰ আত্মদান, ভাষা সংস্কৃতি আৰু ধৰ্মবিশ্বাসে অসমীয়াৰ অন্তৰত যি চাব মাৰি থৈ গ'ল, তাৰ সাঁচ কেতিয়াও মচি পেলাব নোৱৰি। গৌৰৱোজ্জ্বল অতীত থকা জাতি একে যেতিয়া মুম্মৰ্ষ অৱস্থা প্ৰাপ্ত হয় তেতিয়া অতীতেই হে অনুপ্ৰেৰণা যোগায়। এইটো কথাকে সোঁৱৰাবলৈ হে অতখিনি নিৰস বুৰঞ্জীৰ কথা উনুকিয়ালোঁ।

অসম নামটোও চুতীয়াৰ লগত হোৱা সংঘৰ্ষতেই উৎপত্তি হোৱা বুলি ক'লে যুক্তি বিচাৰৰ লগত বঢ়িয়াকৈ খাপ খায়। সোৱণশিৰীৰ দুই পাৰে থকা দেশখিনিক পূৰ্বে সম বোলা হৈছিল। তাত সেই সমৰ নোহোৱা অসমৰ মানুহ সোমালেগৈ তেতিয়াৰ পৰা হে বিজয়ী বিলাকৰ নামানুসাৰে দেশখনৰ নাম অসম হ'ল। অইনলৈ যাবই নালাগে, আহোম বুৰঞ্জীখন ফঁহিয়াই চালেই এই কথাৰ প্ৰতীতি হ'ব।

১৩৯২ শকত, দিহিঙীয়া ৰজাই উত্তৰ পাৰে হাবুংমাৰি পানবাৰী পালত 'এক দিনা প্ৰতি বৃহৎ বৰালি মাছ এটা দিহিঙৰ মাজেদি উটি আহে' মাজে সীমা, উত্তৰে চুতীয়াৰ সীমা, দক্ষিণে দিহিঙীয়া ৰজাৰ ৰাজ্য। 'আচাম দেখি নাও মেলি মাছ ধৰি আনোতে চুতীয়াৰ মাণিক চন্দ্ৰ বৰুৱাই বোলে', আমাৰ পানীৰ মাছ, ক'ৰ মানুহে নিয়ে? নাও মেলি ধৰগৈ। 'পাছে নাও খেদি গৈ জোটা-পোটা লগালে। হাতৰ মাছ হাততে ছিগি থাকিল।ঃ লণ্ডামুণ্ডা মানুহ কিছুমানে আমাৰ ৰাজ্যৰ মাছ ধৰি নিলে। আমাৰ মানুহো দুটা নিলে। মানুহবোৰ আ-সমৰ অৰ্থাৎ সমৰ নহয়।' এই লণ্ডামুণ্ডা মানুহেই সেইবিলাক মানুহ যাক, আজি আমি আহোম বোলো আৰু আ-সমৰ বুলি অৰ্থাৎ সোৱণশিৰি পৰীয়া নহয় বুলি কোৱাৰ পৰাই সৰ ঠাইত হহৈ আহোম নাম প্ৰচলিত হ'ল।

চুতীয়াই দিখৌমুখ আৰু ডিবৰুৰকোঠত যুদ্ধ ধৰিলেহি। সেই যুদ্ধত তকতক্ কইতৰা, চুলুকি, মাণিক চন্দ্ৰ বৰুৱা, বৰহলৌ বৰুৱা আৰু ঢেলা ৰজাই থৈয়া-নথৈয়া যুদ্ধ কৰিও আসামসকলক হোঁহোঁকাব নোৱৰিলে। তাতে ৪০০০ চুতীয়াৰ হানি হ'ল আৰু ১০০০ বন্দী হ'ল।

"লুণ্ডামুণ্ডা মানুহবিলাকৰ সেনাপতি কনচেং বৰপাত্ৰ গোহাঞে জুপুৰি দেওঘৰত ১০০০ চুতীয়াক কাটি মুণ্ডামালা বান্ধিলে।" ১৫৯৮ শকত আকৌ যুদ্ধ হ'ল। এই দুয়োখন যুদ্ধত আহোমসকলে চুতীয়া ৰাজ্যৰ ব্ৰাহ্মণ, দৈৱজ্ঞ, তাঁতি, সোণাৰি, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ অনেক প্ৰজা পালে। হাতী ২৭ টা, ঘোৰা ১০০, হিলৈ ১০০০, নজোৰ নৌকা ৭০০ আৰু ভালেমান যুদ্ধৰ সম্ভাৰ লাভ কৰিলে। চ'ৰা নাও, বৰচা,



ধেনুকাঁড়, অসংখ্য আহোমৰ হস্তগত হ'ল। ৯০০ ম'হৰ পালো সিবিলাকে ধৰি আনিলে।

চন্দ্ৰগিৰি পৰ্বতত যুদ্ধ কৰোঁতে চুতীয়াৰ চন্দ্ৰনাৰায়ণ ৰজাই কেনে সাহেৰে যুঁজ কৰিছিল, তাক অপ্ৰকাশিত বুৰঞ্জী এখনত এইদৰে পোৱা যায় -

"চন্দ্ৰগিৰি পৰ্বতৰ নিকটত মুধ পাতিলে। কুবেৰ দত্ত অস্ত্ৰ লৈ যুঁজত প্ৰৱেশ হ'ল। লুকিস্থিত ই পুনৰ দৃশ্য হৈ স্বৰ্গীৰজাৰ সৈন্য মাৰে। সেই কাৰণে, তাহাকো চন্দ্ৰনাৰায়ণ বোলে। সেই চুতীয়া ৰজা চন্দ্ৰগিৰি শিখৰত উঠিল, বাহু পাতি যুদ্ধ দিলে। স্বৰ্গী ৰজাই ভৈয়ামত সৈন্য মাৰি পৰ্বতত তুলিলেগৈ। চুতীয়া ৰজাৰ সৈন্য ভাগিল। ৰজাৰ ১২০ গৰাকী কুঁৱৰীয়ে শিলা কোঁচাই ৰজাৰ হাতত দিয়ে। ৰজাই অবিচ্ছেদে মাৰিবলৈ ধৰিলে। স্বৰ্গীয়ৰজাৰ সৈন্য পৰি পৰি মৰিল। ফ্ৰাচেংমুঙ্গে (স্বৰ্গীয় ৰজাৰ সেনাপতি) পাছফালে ঘিলাগছত বগাই চন্দ্ৰনাৰায়ণক বেঢ়ি ধৰিলেগৈ। তেতিয়াই ৰজাই দুখকৈ মাত লগালে, 'মোক পাছ ভেঁটি সৈন্য পালেহি। অদ্ভুত শ্ৰুতিহত হৈ সাধনী মহিষিক হাতত ধৰি পৰ্বতৰ শৃঙ্গৰ পৰা ডেও মাৰি জুৰিত পৰি মৰিল। ফ্ৰাচেংমুঙ্গে ৰজাৰ হাড়মুৰ নেপালে।"

ফ্ৰাংচেঙ্গমুঙ্গে চুতীয়াৰ নীতিপালৰ পুতেক সাধক নাৰায়ণক ১২ ঘৰ মানুহ দি বিশ্বনাথৰ ওচৰত পাতি থ'লে। সেই ঠাইয়েই পাছলৈ চতীয়া বুলি প্ৰসিদ্ধ হ'ল।

আহোমৰ হাতত চুতীয়াৰ পৰাজয় হ'ল সঁচা, চুতীয়াৰ সভ্যতা সংস্কৃতি সকলো চিৰঞ্জীৱি হৈয়ে থাকিল। চুতীয়াৰ সৌন্দৰ্যবোধ, শিল্পবিদ্যা, ধৰ্মানুশীলন সকলো আহোম ৰাজ্যত জাতিধৰ্ম নিৰ্বিশেষে সকলোতে সোমাই পৰিল।

চুতীয়াৰপৰা যি হেজাৰ বন্দুক আনিছিল তাৰ ভিতৰত মিঠাহোলাং বোলা বৰতোপটোৱেই সৰ্বোৎকৃষ্ট আছিল। তোপটোৰ ওপৰখন পিতলৰ পানীচৰোৱা, তাতে মিনা কৰাই সোণ বাখৰ খাজি দিয়া আছিল। চুতীয়াৰ পৰা অনা তোপ, খাৰ-বাৰুদ দেখিয়েই সম্ভৱতঃ মীৰজুমলাৰ লগত অহা জন বেপটিষ্ট টেৱাৰ্নীয়েৰে অসমতে পোন প্ৰথমেই খাৰ-কলাই তৈয়াৰ হৈছিল বুলি কৈছিল।

সুদীৰ্ঘ আহোম ৰাজত্বৰ কালছোৱাত যিকেইজন বছা-বছা বৰফুকনৰ কাজলীমুখ কলিয়াবৰত থোৱা হৈছিল তাৰ ১২ জন বৰফুকনেই চুতীয়া কুলৰ পৰা নিয়া। 'হেড়ামে সৰকি' যোৱাকৈ কাঁড় মাৰিব পৰা চুতীয়া কাঁড়ীকেই ৰণলৈ আগকৈ পঠোৱা হৈছিল। সেই হে আজিও, চুতীয়া ধেনু কাফাই-ধেনুৰে অসমীয়া ধেনুকাঁড়ৰ মাজত সুকীয়া বৰপীৰা পাৰি বহি আছে।

তাম্ৰেশ্বৰী মন্দিৰ, বুঢ়া-বুঢ়ীৰ থান আৰু অন্যান্য সৰু সৰু মন্দিৰৰ শিলত কটা অপূৰ্ব মূৰ্তিবিলাক দেখি কোনে নক'ব এসময়ত চুতীয়া শিলকটীয়াৰ অদ্ভুত স্থাপতি বিদ্যাৰ জ্ঞান নাছিল বুলি !

চুতীয়া মহিলাৰ লাহীকঁকাল, কলাফুলত বৈ পৰা সাপনেগুৰীয়া চুলি কেতিয়াবা শাও বৰণীয়া হ'লেও নিমজ চিকচিকীয়া গা-মুখৰ বৰণ, নামগুণলৈ হেঁপাহ আৰু সুৱদি

মাত অসমীয়া সাধুকথাৰ অপৰূপ বিষয় বস্তু।

বিহুনাম, হুচৰি গীত, বনঘোষা, বিয়ানাম, আইনাম, শীতলানাম আদি অসমীয়া নৃত্য শিল্প ললিতকলাৰ যিমান অঙ্গ আছে, সেই এটাই বিলাকতে চুতীয়াৰ বহুমূলীয়া অৰিহণা আছেই আছে। বিয়ানামত ৰুক্মিণী শ্ৰীকৃষ্ণৰ কথা নকলেই নহয়, হুচৰিত টকা-পেঁপা, সুতুলি, বাঁহী নবজালেই নহয় - এইবোৰ চুতীয়াসকলৰেই বস্তু।

মাতৃদেৱী শব্দটো সংস্কৃত গন্ধী হ'লেও, চুতীয়াসকলৰ মাজত অতি প্ৰাচীন কালৰেপৰা 'মা-দৈ' বুলি চলি আহিছে। মা-দৈ শব্দটোৱে ভাষাতাত্ত্বিকসকলক বহুত নজনা কথাৰ সম্ভেদ দিয়ে। তাম্ৰেশ্বৰী মন্দিৰৰ চুতীয়াই কেঁচাইখাতি গোসাঁনীক মতা এইটো নাম। এতিয়াও চুতীয়া পৰিয়ালত ছোৱালীৰ নাম তৰাদৈ, ভা-দৈ, কণ-দৈ আদি ৰখা হয়। শিৱসাগৰৰ প্ৰাচীন চুতীয়া পৰিয়াল এটাত দৈ লগা নামৰ ১৩ জনী ছোৱালী লগ পাইছিলো। আমি যে প্ৰকৃতিৰ সেৱক আছিলোঁ এই কৃষ্টিয়েই সূচাই দিয়ে।

চুতীয়াবিলাকে সঙ্গীত চৰ্চা যি কৰিছিলেই নে, সেই দেশৰ শালিকী চৰায়েও মানুহৰ মাত কাঢ়ি সঙ্গীত গাই শুনাইছিল। নহ'লে নো, আজি আকৌ শালিকাৰ মাজত চুতীয়া শালিকাই চুতীয়া নাম লৈ সাধুকথা একোটাৰ মাজত কিয় জোৰণি ধৰিব? এই শালিকাজনীলৈ আমাৰ মৰম কিমাননো এইযাৰ ল'ৰা ওমলোৱা নামেই কৈ আছে -

"শালিকী ঐ ৰটো টৌ
ভাত হ'ল, শাক হ'ল
শালিকী বাই কলৈ গ'ল?

- এইখিনিতে মানুহ এজনে, এনেকুৱা শালিকা চৰাই এটিকে এদিন স্বৰ্গদেৱৰ আগত দি সেৱা জনাইছিল। শালিকীটি মানুহজনে বাঁহৰ শালীৰে আটোমটোকাৰিকৈ সজা দুটুপীয়া সজা এটাত ভৰাই নিছিল। সেই কাললৈকে লুইতৰ দক্ষিণ পাৰে কাৰো দুটুপীয়া ঘৰ নাছিল। স্বৰ্গদেৱে সজাটোৰ ঠগটো দেখি বৰ সন্তোষ পালে আৰু তৎক্ষণাৎ সেই চানেকিৰেই ৰজাৰ ঘৰ দুটুপীয়া কৰিবলৈ আদেশ দিলে। এই কথা সাধু কথা নহয়। বুৰঞ্জীৰ সত্য কথা।

আমি যি বনৰীয়া ভাটৌ ধৰি আনি "ৰাধা বোল, কৃষ্ণ বোল' বুলি নাম গাবলৈ শিকাওঁ। সেই ভাটৌও যে চুতীয়া দেশৰ পৰা অহা আৰু চুতীয়ায়েই দিয়া সিহঁতৰ নাম তাক অলপ ভাবিলেই পাব।

চন্দনা মদনা পৰ্বতত আছিল চুতীয়া জাতি চন্দনা পৰ্বতত থকা ভটৌৰ নাম চন্দনা ভাটৌ। মদনাৰ নাম মদনা-ভাটৌ। ৰাঙল পৰ্বতবোৰ বা ৰঙা ভাটৌ। ভোলা ভাটৌ ভোলা পৰ্বতৰ। শুকপক্ষী সকলোতে আছে কিন্তু চুতীয়াৰ আদি ভূমিত থকা 'শুকমুনিসকলৰ' নামবোৰ বেলেগ হ'ল। চুতীয়া-লফা, চুতীয়া-লাই আজিও আমাৰ ব্যঞ্জনৰ সোৱাদ দি আছে।



জনা গাভৰু চুতীয়া ৰমনী। চৈখোৱা ঘাটৰ ওচৰত থকা জনাপথাৰেই তাৰ চিন। এওঁ 'তিৰী' হৈয়ো ৰাজপাট খাইছিল আৰু জুৰীয়া ঢাপ মৰাই নশ কোঁৱৰক বন্দীকৈ থৈছিল। চুতীয়া ৰমনীৰ নিৰ্ভীক চিত, লয়লাস খোজ-কাটলে স্ত্ৰীস্বাধীনতাৰ ক্ষীণ আঁচ এটি আজিও অসমীয়া সমাজত আঁকি থৈছে।

সোণৰ মেকুৰী চুতীয়া ৰজাৰ কুবেৰদত্ত সম্পত্তি। চুতীয়াই হে মেকুৰীক মান সৎকাৰ কৰিব লাগে। কিন্তু অসমীয়া মাত্ৰেই মেকুৰীক দেৱতা স্বৰূপে সন্মান কৰে। মেকুৰী মাৰিলে সিপুৰীত সোণৰ মেকুৰী দিব লাগিব বুলি আমাৰ মাজত যিটো প্ৰচলিত বিশ্বাস বা সংস্কাৰ আছে সেয়ে তাৰ প্ৰমাণ। সেই চুতীয়া বিশ্বাসেই অসমীয়াৰ ধৰ্ম বিশ্বাস নহয় জানো? কাশ্যপ মুনি চুতীয়াই আছিল। আমাৰ গোত্ৰ হেৰালে তেওঁৰ নাম লৈয়ে দশ সংস্কাৰৰ কাম কৰোঁহঁক। মেকুৰী পূজাটোৱেই সকলোকে কঠাল এটাৰ দৰে অঠীয়াই থৈছে অসমীয়া সাংস্কৃতিক অনুষ্ঠানৰ কাৰুকাৰ্য, বেদী প্ৰতিষ্ঠা আদি প্ৰায়বিলাকেই চুতীয়াৰ পৰা অহা বুলি সেইবিলাক মূৰত মথুৰাপাগ মাৰি বহি আছে। পিছত, অৱশ্যে নানান জাতিৰ লগত আদান-প্ৰদান হোৱা বাবে তাৰ আকৃতি-প্ৰকৃতি লৰচৰ হোৱা স্বাভাৱিক।

জুহালৰ কাষত বহি সাধু কোৱা, মুকলি পথাৰত বিহুনাম গোৱা, টোকাৰী বীণত বৰদৈ গীত গোৱা, হেঙুল-হাইতাল লগাই ঘৰতে বহি পুথি লেখা, সাঁচিপাত আৰু সাঁচিপাতত লেখা মহী তৈয়াৰ কৰা, কাঠৰ ধুনীয়া-ধুনীয়া সিংহাসন সজা আৰু তাৰ ওপৰত মূৰ্তি অঁকা আৰু কটা - এইবোৰ আজি পৰ্বতৰ কাছ কণী।

আগেয়ে মতা মানুহও গলধনক ঢকাকৈ দীঘল চুলি ৰাখিছিল, কৰ্ণবোধ বা কাণ বিন্ধাই লৈছিল, দা-তৰোৱালৰ ঘাপ চুলিৰ ওপৰত পৰিলে পিছলি যায়। সেই কাৰণে, আত্ম ৰক্ষাৰ বাবেই চুলি দীঘলকৈ ৰখাৰ প্ৰয়োজন আছিল। কাণৰ বিন্ধাত কাঁড়ে বিন্ধিব নোৱাৰাকৈ ঢাল আঁৰি লোৱা হৈছিল। এতিয়া বিজ্ঞানৰ দিন। বিজ্ঞানসন্মত উপায়েৰে আত্মৰক্ষাৰ উপায় কৰা হৈছে, দিনে দিনে নতুন নতুন কলা-কৌশল আৰু শিল্প অনুষ্ঠান সৃষ্টি হ'ব লাগিছে। তাৰ লগত উজাবলৈ আমাৰ উদ্ভাৱিকা শক্তি প্ৰসাৰ কৰিব লাগিব। আমাৰ সাধুকথাবোৰ একো একোটা জঁকা হৈ পৰি আছে। তাত আধুনিকতাৰ ৰূপৰহণ দি বোলছবিত ফুটাই তুলিব লাগিব। গগনা, সুতুলি, বীণা, টোকাৰীত ন-সঙ্গীতৰ সোঁত বোৱাই অনা অসমীয়াকো বুৰাই নিব লাগিব। বিয়া-বাৰু উপলক্ষে গ্ৰামোফণ'ত, চিনেমাত, ৰেডিঅ'ত আৰু সৰ্বসাধাৰণতে অ'ত-ত'ত হোৱা সুৱাগী সভাবিলাকত অসমীয়া বিয়ানাম, অসমীয়া নামগুণ দূৰতে বিদূৰ কৰি, তাৰ ঠাইত বিদেশী গানেৰে আমাৰ কাণ ঘোলা কৰা দিন আৰু গ'ল। খনিকৰী বিদ্যাটো চুতীয়াৰ বাপতী সাহোন। তাৰ আহিলাপাতিবোৰ আমাৰ হাবিয়ে-বননিয়ে আছে, বুটলি আনি কামত খটুৱালেই হয়। হেঙুল-হাইতাল পুৰণি চিত্ৰ-কলাৰ অপূৰ্ব সামগ্ৰী। সেইবোৰ আজি কোনেও চিনি নোপোৱা হ'ল। আমি যাক লৈ গৌৰৱত ওফন্দি থাকোঁ সেই আটাইবোৰ বস্তু দিনে দিনে হৰি গৈছে। অইন কি,

ফলত আৰু বহুতো ভগ্নাৱশেষ পোহৰলৈ আহে। এই দুৰ্গ প্ৰায় চাৰি বৰ্গমাইল বিস্তৃত আছিল। বাহিৰৰ দেৱালৰ উপৰি ভিতৰতো মাটি আৰু শিলেৰে নিৰ্মিত একোখন দেৱাল আছিল। বাহিৰৰ দেৱালত ইটাৰে নিৰ্মিত দুখন বিশাল তোৰণ আছিল। তাৰে এখন পূবত আৰু আনখন পশ্চিমত। পাহাৰে আবৃত্ত উত্তৰ দিশক বাদ দি দুৰ্গটোৰ কেওদিশে এটা খাৱৈ আছিল। দুৰ্গটোৰ দেৱালৰ মাজতে ২০,০০০ বৰ্গফুট আকাৰৰ এটা ঘৰৰ ভেটি (plinth) দেখা পোৱা গৈছিল।[১২৮] এইটোৱেই সম্ভৱ অট্টালিকা বা ৰাজপ্ৰসাদৰ ভগ্নাৱশেষ। ৰাজপ্ৰসাদৰ এই ভেটিৰপৰা অনুমান হয় যে ইয়াত তিনিটা মূল কোঠা, দুটা পৰিবৰ্দ্ধিত কোঠা আৰু ছখন প্ৰৱেশদ্বাৰৰ সুবিধা আছিল। অট্টালিকাটো পূবমুখী আছিল। ওচৰতে পৰি থকা খাপৰি ইটাই ইয়াৰ চালখন কেনে আছিল তাৰ এটি ইঙ্গিত দিয়ে।[১২৯] পূব আৰু পশ্চিম দিশৰ তোৰণ দুখন অট্টালিকাটোৰপৰা যথাক্ৰমে ১.৫০ কিঃমিঃ আৰু ৫ কিঃমিঃ দূৰত্বত অৱস্থিত। অট্টালিকাটো থকা ঠাইতে মাটিৰ কিছুমান বাচন-বৰ্তন, মসৃণ শিলৰ সঁজুলি আৰু কিছুমান লোহাৰ টুকুৰা পোৱা গৈছে। ভীষ্মক নগৰত পোৱা মাটিৰ বাচন-বৰ্তনবিলাকৰ লগত মিল থকা সামগ্ৰী ৰ'য়িং, তেজু, চিম্‌ৰি, কৰণু, ইঞ্জনু আদিতো পোৱা গৈছে।[১৩০] ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ভীষ্মক নগৰৰ ভগ্নাৱশেষৰ মাজত কাৰুকাৰ্য খচিত কিছুমান ইটাও পোৱা গৈছে। ইয়াৰে কিছুমানত সিংহ, হাতী আদি জন্তুৰ ছবি আৰু সিবিলাকৰ কাষে কাষে সংস্কৃত ভাষাত 'শ্ৰী শ্ৰী লক্ষ্মীনাৰায়ণ' বুলি খোদিত কৰা আছে। এনেকুৱা এচপৰা ইটা শ্বিলঙত অৱস্থিত অৰুণাচল প্ৰদেশৰ কেন্দ্ৰীয় যাদুঘৰত ৰখা হৈছে।[১৩১]

ৰ'য়িঙৰ উত্তৰ দিশৰ পাহাৰত চিদু আৰু চিম্‌ৰি গাঁৱৰ মাজত ৰুক্মিণী নগৰ অৱস্থিত। ইদু-মিচিমিসকলে এই ঠাইক 'ৰুক্মিণী নাতি' বুলি কয়। ইদু ভাষাত 'নাতি' মানে ইটা। ৰুক্মিণী নগৰত ইটাৰ যিবোৰ ভগ্নাৱশেষ পোৱা গৈছে জনশ্ৰুতিমতে সেইবোৰকে পৌৰাণিক ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীৰ ৰাজপ্ৰসাদৰ ভগ্নাৱশেষ বুলি কোৱা হয়, কিন্তু ইয়াৰ ঐতিহাসিক ভিত্তি নাই। ১৮৭৩-৭৪ চনত চিম্‌ৰি গাঁৱত খননকাৰ্য চলাই ১০x১০ মিটাৰ আৰু ১০x১২ মিটাৰ আয়তনৰ দুটা কোঠালিৰ ভগ্নাৱশেষ উদ্ধাৰ কৰা হয়। এটা পাহাৰৰ হেলনীয়া অংশত কোঠালিকেইটা অৱস্থিত আৰু দুয়োটা কোঠালিৰ মাজৰ দূৰত্ব ১৪ মিটাৰ। কোঠালিকেইটাৰ দেৱালৰ ভিতৰত খননকাৰ্য চলাই নদীয়ে

[১২৮] *ibid.*, pp. 38f.
[১২৯] Y.A. Raikar & S. Chatterjee, **Archaeology in Arunachal Pradesh**, DRAP, Shillong, 1980,p.29.
[১৩০] Cited in **Gazetteer of India, Arunachal Pradesh, Lohit District**,p.39.
[১৩১] S. Chatterjee, 'Fragmentary Inscription on a Brick found from Bhismaknagar', **Research in Arunachal**, DRAP, Shillong, 1977, p.6.; 'Inscription in Arunachal Pradesh', **Resarun**, vol.iv.,no.1., Shillong,1978,p.45.; Raikar & Chatterjee, *op.cit.*,p.36.



কঢ়িয়াই অনা শিল, বালি আদি পোৱা গৈছে আৰু সেইবোৰৰপৰা কোঠালিকেইটাযে বানপানীয়ে ধ্বংস কৰিছিল সেয়া অনুমান কৰিব পাৰি। ইয়াৰ কাৰুকাৰ্য, আকাৰ আৰু নিৰ্মাণশৈলী ভীষ্মক নগৰৰ সৈতে একে। গতিকে ৰুক্মিণী নগৰক ভীষ্মক নগৰ সংস্কৃতিৰ সম্প্ৰসাৰণ বুলিব পাৰি।[১৩২]

ভীষ্মক নগৰৰ দুৰ্গৰ আৰ্হিত নিৰ্মাণ কৰা আন কেইবাটাও দুৰ্গ অৰুণাচল প্ৰদেশৰ অন্য ঠাইতো পোৱা গৈছে। যথা- কামেং জিলাৰ ভালুকপুঙৰ দুৰ্গ, সোৱণশিৰী জিলাৰ ইটা দুৰ্গ আৰু লোহিত জিলাৰ মাটি দুৰ্গ। এই দুৰ্গবিলাক ইমান ধ্বংসপ্ৰাপ্ত হৈছে যে তাৰপৰা এইবিলাকৰ নিৰ্মাণশৈলী সম্পৰ্কে এটা শুদ্ধ ধাৰণা কৰাটো যথেষ্ট কঠিন। এই সকলোবোৰ দুৰ্গই ৰাজ্যৰ সুৰক্ষাৰ অৰ্থে যুদ্ধ কৰিবপৰা সুচল ঠাইত নিৰ্মাণ কৰা হৈছিল। চুতীয়া ৰাজ্যৰ ভৌগোলিক পৰিৱেশ আৰু সেই যুগৰ যুদ্ধ কৌশল বিবেচনা কৰি দুৰ্গবিলাক পাহাৰৰ পাদদেশৰ পানীৰ সুচল ব্যৱস্থা হোৱাকৈ কোনোবা নদীৰ কাষত অৰণ্যৰ মাজত নিৰ্মাণ কৰা হৈছিল।

ভালুকপুং দুৰ্গৰ বৰ্তমান কোনো অৱশিষ্ট নাই বুলি ক'ব পাৰি। বি. চি. এলেনৰ মতে, এই দুৰ্গ অৱস্থিত আছিল কামেং বা ভৰলী নদীৰ ঠেক অঞ্চলত তিনিশ ফুট ওখ এটা পাহাৰৰ ওপৰত। ভীষ্মক নগৰৰ দুৰ্গৰ দৰেই এই দুৰ্গও তিনিফালে দেৱালেৰে আবৃত্ত আৰু পিছৰ ফালটো পাহাৰেৰে সুৰক্ষিত আছিল।[১৩৩] অনেকৰ মতে, এই দুৰ্গ পুৰণি কামৰূপ ৰাজ্যৰ শালস্তম্ভ আৰু পালবংশী ৰজাসকলৰ দিনত দহৰপৰা বাৰ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা হৈছিল।[১৩৪] ইতিমধ্যে আমি ঐতিহাসিক তথ্যৰ ভিত্তি কৰি দেখুৱাই আহিছো যে অন্ততঃ খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ মাজভাগৰপৰা সদিয়া অঞ্চল চুতীয়াসলৰ শাসনাধীন আছিল।

অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰত এটা দুৰ্গৰ ভগ্নাৱশেষ দেখা যায়। ইয়াৰ চাৰিওফালে ইটাৰ গড়/ বুৰুজ আছে আৰু দুৰ্গলৈ সোমোৱা তিনিখন প্ৰৱেশদ্বাৰ আছে। পশ্চিমৰ দেৱালখন দীঘলে ১.৪০ কিঃমিঃ আৰু ইয়াত দুখন প্ৰবেশদ্বাৰ আছে। পূবৰ দেৱালখন আধা কিঃমিঃতকৈ অলপ দীঘল আৰু ইয়াত এখন প্ৰবেশদ্বাৰ আছে। দেৱালবিলাক গড়ে ১.৫ মিটাৰ বহল আৰু প্ৰায় ৫ মিটাৰ ওখ আছিল বুলি অনুমান কৰিব পাৰি। পূবৰ প্ৰবেশদ্বাৰখন শিলেৰে নিৰ্মিত। ইয়াৰপৰা দিক্‌ৰং উপত্যকাৰ দুয়োমুখ সুন্দৰকৈ দেখা পোৱা যায় আৰু কোনোবা শত্ৰুৰ আগমন ইয়াৰপৰা পৰ্যবেক্ষণ কৰিব পাৰি। ইয়াত ব্যৱহাৰ হোৱা ইটাবোৰ বিভিন্ন আকাৰৰ। আনকি কাৰুকাৰ্য খচিত ইটাও ইয়াত পোৱা যায়। ইটাবোৰ সম্ভৱ দুৰ্গ সজা স্থানতে প্ৰস্তুত কৰা হৈছিল, কাৰণ, ওচৰতে

[১৩২] **Gazetteer of India, Arunachal Pradesh, Lohit District**, p.40.
[১৩৩] Cited in Raikar & Chatterjee, *op.cit.*,p.25.
[১৩৪] *ibid.*

অসমীয়া জাতিটোৰেই আৰু দুদিনমান হ'লে, ঘৰৰ যাদু-চুক পূৰ কৰা এটি কিম্ভুত কিমাৰ পদাৰ্থ হৈ পৰিব।

আমাৰ সকলো আছিল, আছেও। আমি কিন্তু তাৰ গম নলওঁ। পুৰণি চুতীয়া পৃথিৱীখনৰ সাংস্কৃতিক খুঁটিবোৰ আভাস এটা মাত্ৰ দাঙি ধৰিলোঁ। এতিয়া ন পৃথিৱী গঢ় দিয়াৰ ভাৰ পৰিছে উঠি অহা ডেকাৰ গাত। পুৰণি আহিলাপাতি, সৌন্দৰ্যবোধ, চিন্তাধাৰা, দয়, দস্তুৰ এইবিলাকৰ গাৰপৰা মামৰ গুচাই সেই উপাদানেৰেই নতুন সম্ভাৰ সৃষ্টি কৰক। অন্তৰত আগ্ৰহ ওপজাওক, প্ৰাণত চেতনাৰ সঞ্চাৰ কৰক, জাতীয়তাৰ বিস্তাৰ কৰক, দেখিব অসম আকৌ সেই পুৰণি গৌৰৱদৃশ্য অসম হৈ উঠিব, তাৰ কোলাতেই চুতীয়া কৃষ্টিও জলমলাই থাকিব।

(উৎস ঃ কাকডোঙা, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, ঊণত্ৰিংশতিতম, দ্বি-বাৰ্ষিক অধিবেশন, বৰহোলা,২০০৫,পৃঃ১৮)



## পৰিশিষ্ট জ

আসাম চুতীয়া সন্মিলন (প্ৰথম অধিৱেশন, গোলাঘাট- ১৯২৫ চন)

# সভাপতি ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ অভিভাষণ

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু চুতীয়া ৰাইজসকল! আপোনালোকে আজি সমূহ চুতীয়া ৰাইজে গোটখাই এই সভাপাতি মোক সভাপতি বৰণ কৰিছে। আপোনালোকে নিজৰ ভিতৰৰে এজনক লৈয়ো এই সভা সুকলমে কৰিব পাৰিলেহেঁতেন; তেনেস্থলত যে মোক এই সভাৰ সভাপতি বৰণ কৰিলে ইয়াৰ কাৰণ মই যিমানদূৰ জানিব পাৰিছোঁ আপোনালোকৰ মোৰ প্ৰতি এটা আন্তৰিক ভক্তি আৰু মৰম। এইটো বৈজ্ঞানিক সত্য যে অকপট সহানুভূতিয়ে সহানুভূতি, মৰমে মৰম, ঘৃণাই ঘৃণা আকৰ্ষণ কৰে। মই অন্তৰেৰে সৈতে মোৰ অসম জননীৰ সন্তান সকলো জাতৰ সকলো শ্ৰেণীৰ ভাতৃবৃন্দ ভাল পাওঁ। সকলো জাতৰ সকলো শ্ৰেণী ৰাইজৰ উন্নতিতে মোৰ উন্নতি বুলি ভাৱোঁ। বোধকৰো আপোনালোকৰ অনেকেই মোৰ এই ভাৱটো জানে; তদুপৰি এই নিঃকিনেই ত্ৰয়োদশ বছৰৰ বাঁহীত প্ৰথমেই অসমীয়া ভাষাত আমাৰ চুতীয়া ভাতৃসকলৰ পূৰ্বগৌৰৱ পৰিপূৰ্ণ বৃতান্ত প্ৰকাশ কৰি অসমীয়া ৰাইজক জনাইছো যে আমাৰ চুতীয়া জাতিটো আগৰ সেই ক্ষত্ৰীয় ৰজা ভীষ্মকৰ বংশধৰ। এইবিলাকৰ উপৰিও মই একালত এই গোলাঘাটত হাকিমি আৰু পিচত ৰিছেটেলমেণ্টত কাম কৰা বাবে অনেক বৃদ্ধই মোক জানে চিনে, সেইবাবেও বোধ কৰো মোক আপোনাসকলৰ এই আজিৰ সভাৰ সভাপতি পাতি মোক মোৰ এই পুৰণি চিনাকি মাতি আনিছে। মোক এই শ্ৰদ্ধা দেখুৱাই নিমন্ত্ৰণ কৰি অনাৰ বাবে মই আপোনালোকক অন্তৰেৰে সৈতে ধন্যবাদ দিলোঁ।

সভা-সমিতিৰ সভাপতি হ'লে পূৰ্বাপৰ ৰীতি অনুসৰি এখন ৰচনা পাঠ কৰিব বা এটা সাৰুৱা বক্তৃতা দিব লাগে। আপোনালোকৰ অনকেহে হয়তো মোৰ পৰা ভাল ৰচনা বা বক্তৃতা এটা পাবলৈ আশা কৰিছে; কিন্তু এই বিষয়ে মই এইখিনিতে কই থওঁ যে আপোনালোক কিজানি নিৰাশ হ'ব। ইয়াৰ কাৰণ হৈছে মই দুয়োটা বিষয়তে অপৰাগ। মোৰ গোটেইটো কৰ্ম্মজীৱন ৰজাঘৰীয়া কাম কৰোঁতে গ'ল। যদিও আনৰ বক্তৃতা বহুত

শুনিলোঁ তথাপি নিজে সভাসমিতিত উঠি বক্তৃতা দি বাকশক্তি বঢ়াবলৈ কোনো সুবিধা নাপালোঁ। ৰচনা আদি কৰা বিষয়েও সেয়ে হ'ল। এতিয়া বুঢ়া বয়সত বিষয়ৰ চিন্তাত পৰি মগজু একেনুৰা অসাৰ হ'ল যে শুনিবলৈ শুৱলা অলঙ্কাৰ উপমাই উৎপেক্ষাই ভৰা শ্ৰুতিমধুৰ ভাষা ওলাব নোখোজে। আপোনাসকলে আগ্ৰহ কৰি নিমন্ত্ৰণ কৰা বাবেহে এই দুখীয়াই দুখি অৱস্থাৰে আপোনালোকৰ আগত ওলাইছোঁহি। আশা কৰো আপোনাসকলে এই বৃদ্ধৰ হীন দেঢ়ী সমস্তকে ক্ষমা কৰিব। আমাৰ এই আসাম দেশখন যেনেকৈ প্ৰকৃতিৰ কাম্যকানন সুজলা সুফলা সেইদৰে এই দেশ পুৰণি গৌৰৱ পৰিপূৰ্ণ বুৰঞ্জীয়েও ভৰা। মহাভাৰতৰ কালৰ পৰা বৰ্তমান সময়লৈকে এই অসমত কত জাতিৰ অভ্যুদয় আৰু পতন হ'ল তাৰ লেখ-জোখ বুৰঞ্জীত এফেৰা ৰাপ থকা মানুহ মাত্ৰেই জানে। মহাভাৰতৰ সময়ত এই অসমৰ নামনি খণ্ডত ভগদত্তে মাজখণ্ডত বাণে আৰু উজনীখণ্ডত ভীষ্মকে ৰাজত্ব কৰিছিল। মহাভাৰতৰ সেই ৫০০০ পাঁচ হেজাৰ আগৰ বছৰৰে পৰা বৰ্ত্তমানৰ এহেজাৰ বছৰৰ আগলৈকে ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমৰ বুৰঞ্জীও এন্ধাৰেৰে ঢকা। পাণ্ডৱসকলৰ মহাপ্ৰস্থানৰ কালৰে পৰা অথবা ভাৰতৰ মহাযুদ্ধ হৈ যাবৰে পৰা ভাৰত বীৰশূণ্য হৈ যি এন্ধাৰত পৰিল সেই এন্ধাৰ আজি প্ৰায় এহেজাৰ বছৰৰ ওপৰলৈকে আছিল। প্ৰত্নতাত্বিক সকলে এই ৪০০০ চাৰিহাজাৰ বছৰৰ এন্ধাৰ যুগটোৰ বুৰঞ্জী উলিয়াবলৈ লাগিপৰি আছে।

আসামলৈ আহোমসকল অহাৰ আগেয়ে অসমত তিনিটা জাতিয়ে ৰাজত্ব কৰা কথা পাওঁ। শদিয়াকে ৰাজধানী পাতি উজনী অসমত চুতীয়াসকলে ৰাজত্ব কৰিছিল। মধ্য অসমত ডিমাপুৰক ৰাজধানী পাতি কচাৰীসকলে ৰাজত্ব কৰিছিল। ভাটী অসমৰ একখণ্ড কমতাপুৰ ৰাজ্যৰ সামিল আছিল আৰু একখণ্ড কোচবিহাৰৰ কোচ ৰজাসকলৰ অধীনত আছিল। একখণ্ড অৰ্থাৎ শিৱসাগৰৰ ফালে পালবংশী হিন্দু, ক্ষত্ৰীয় ৰজাৰ শাসনত থকাও পাওঁ। আজি আমি উজনীখণ্ডৰ চুতীয়া ৰাজত্বৰ বিষয়ে ৰাইজ সকলক জনাবলৈ ওলালো। চুতীয়াসকলৰ ভিতৰত হাতে লিখা কোনো সাঁচিপতীয়া বুৰঞ্জী পুথি আছেনে নাই আমি কব নোৱাৰো। কৰ্ণেল ডালটনে চুতীয়াসকলৰ আদি বিৱৰণ যিদৰে দিছে আমি সেইটোকে জয় জয়তে শুনাই আমাৰ হিন্দুসকলৰ মতে চুতীয়াসকল কি কোন জাতৰ মানুহ এই বিষয়ে জনাম।

## চুতীয়াসকলৰ উৎপত্তি

কৰ্ণেল ডালটনে কয় যে- চুতীয়াসকলৰ আদি বাসস্থান সোৱনশিৰি নৈৰ উৎপত্তি স্থলত অথবা পৰ্বতৰ ওপৰত সোৱনশিৰি নৈৰ দাঁতিত আছিল। মিৰি আৰু আবৰসকলৰ দৰে চুতীয়াসকলেও বৰ ওখ ওখ পাহাড়ৰ ওপৰত ডাঙৰ ডাঙৰ গাঁও পাতি বাস কৰিছিল। কোনো গাঁৱে বা খেলেই আন গাঁও বা খেলৰ বশ্যতা স্বীকাৰ নকৰিছিল। তেওঁলোকৰ



প্ৰথা মতে ৰজাও নাছিল। প্ৰত্যেক মানুহেই স্বাধীন আছিল। স্বৰ্ণগিৰি নামৰে এখন গাঁওৰ বিবৰ নামেৰে এজন সাধাৰণ চুতীয়া মানুহ ৰাতি সামাজিকত দেখি কলে হেনো তাক কৈছিল "ঘৈণীয়েৰে সৈতে মিল হ। এইদৰে কাজিয়া কৰি নাথাকিবি, কাৰণ তোৰ ঔৰষে তাইৰ গৰ্ভত এটি সন্তান হব আৰু সেই সন্তানটোৱে তঁহতৰ জাতিটোক উজ্জ্বল কৰিব। সৌজোপা গছৰ তলত খানিলে তই বহুধন পাবি। সেইধন তই সাৰধানে ৰাখি খৰছ কৰিবি।

বিবৰে সাৰপাই সামাজিকত দেখামতে কাম কৰিলে। ঘৈণীয়েকে সৈতে মিল হ'ল। গছৰ তলখন খানি এখন তৰোৱাল, এপাত জাঠি, আৰু জাঠিপাতৰ তলত এটা সোণৰ বিড়ালি পালে। এইবিলাক ঘৰলৈ নিলে আৰু নিত্যনৈমিত্তিক স্বৰূপে পূজা কৰিবলৈ ধৰিলে। তাৰ ফলত বিবৰ নিজ জাতকুলৰ ভিতৰত দিনকদিনে ক্ষমতাশালী হৈ উঠিল। যথা সময়ত বিবৰৰ পত্নী ৰূপৱতী দেবীয়ে এটি সুন্দৰ পুত্ৰ প্ৰসৱ কৰিলে। সেই পুত্ৰটি সৰুৰে পৰা সাহিয়াল, উৎসাহী আৰু বলৱান হ'ল আৰু সেই কালতে তেওঁ চিকাৰত ধনু-কাঁড় চলোৱাত সকলোৰে নেতা হৈ ফুৰিছিল। দিনক দিনে এই কুমাৰ যেতেকে ডাঙৰ হ'ল তেতেকে প্ৰথমতে তেওঁৰ নিজৰ গাঁৱৰ সকলোবিলাক মানুহেই তেওঁক নেতা বা ৰজা বুলি স্বীকাৰ কৰিলে। তাৰ পাচত ক্ৰমে ক্ৰমে তেওঁ পৰ্বতত থকা আন আন গাঁওবিলাককো নিজ বংশলৈ আনি ৰজা নাম ললে। ইয়াৰ পাছত কুমাৰে অসংখ্য সৈন্যসামন্ত লৈ পৰ্বতৰ পৰা ব্ৰহ্মপুত্ৰৰ ভৈয়ামত নামি ভদ্ৰসেন নামেৰে ৰজা এজনক আক্ৰমণ কৰি যুজত ঘটুৱাই ঢেৰ ধন-বিট পালে, তাৰ পিছত এটা দুৰ্গসাজি সেই দুৰ্গৰ নাম ৰত্নপুৰ থলে। ইয়াতে তেওঁ যুজঁত পোৱা ধন, সোণ ৰাখিলে। তেওঁ যি সময়ত ৰত্নপুৰত ৰাজত্ব কৰিছিল সেই সময়ত কমতাপুৰত এজন ৰজা আছিল আৰু গৌড়দেশত এজন হিন্দু ৰজাই ৰাজত্ব কৰিছিল। সেই কাৰণে তেওঁৰ এই বিজয় খৃষ্টাব্দ ১২০৪ শকৰ আগেয়ে হৈছিল। শদিয়াৰ পূব উত্তৰ কোণত যি দুৰ্গ আৰু প্ৰাচীৰ সম্ভৱতঃ এই ৰত্নধ্বজ ৰজাই কৰোৱা।

## চুতীয়া আৰু পালবংশী ৰজাৰ সংঘৰ্ষ

ইয়াৰ পাচত ৰত্নধ্বজ ৰজাই পশ্চিমৰ ফাললৈ দ্বিগ্বীজয় কৰিবলৈ গৈ প্ৰথমতে ন্যায়পাল নামেৰে ৰজাৰ ৰাজ্য আক্ৰমণ কৰিলে। এই ন্যায়াপাল সম্ভৱতঃ সেই সময়ৰ ৰংপুৰৰ ফালৰ ক্ষত্ৰিয় পালবংশী ৰজা এজন আছিল। ন্যায়াপালে ৰত্নধ্বজৰ বলবিক্ৰমৰ কথা শুনি আৰু অপৰিমিত যুজাৰু সেনা দেখি অলপ যুজৰ পিছতে ভয় খাই ভাৰ-ভেটি দি নিজৰ জীয়েকক ৰত্নধ্বজলৈ বিয়া দিয়াত ৰত্নধ্বজ যুজ এৰি নিজ ৰাজ্যলৈ ওলটিল। ন্যায়পালক পৰাস্ত কৰি ৰত্নধ্বজে নিজৰ নামৰ পাছত পাল উপাধিটোও গ্ৰহণ কৰিলে। আৰু নিজৰ অপৰ নাম গৌড় নাৰায়ণ ললে। ন্যায়াপালৰ জীয়েকক বিয়া কৰাই ৰত্নধ্বজ

নিজৰাজ্য ৰত্নপুৰলৈ আহিল আৰু ইয়াৰ পিছৰ পৰা তেওঁৰ যুজ বিগ্ৰহ নকৰি ৰাজ্য উন্নতি কৰিবলৈ ধৰিলে। তেওঁ পৰ্ব্বতৰ দাঁতিয়ে দাঁতিয়ে দুৰ্গ সাজিলে; ডাঙৰ ডাঙৰ পুখুৰী খনালে। মঠ-মন্দিৰ তৈয়াৰ কৰালে। শদিয়াৰ পুখুৰীবিলাকৰ ভালেমান এই ৰত্নধ্বজে কৰোৱা। ৰত্নধ্বজে ইয়াৰ পিচত তেওঁৰ পুতেক বীজয়ধ্বজলৈ কমতেশ্বৰৰ ৰজা নীলধ্বজৰ জীয়াৰী এজনী খোজাত নীলধ্বজে জীয়াৰী নিদি কটকীক অপমান কৰি পঠোৱাত ৰত্নধ্বজে তৎক্ষণাত সৈন্য গোটাই কমতাপুৰ আক্ৰমণ কৰিবলৈ গ'ল। তেওঁ তেওঁৰ আগে আগে এটা আলি তৈয়াৰ কৰি গৈছিল। কমতেশ্বৰে তেওঁৰ আশ্চাৰ্য্য ক্ষমতা আৰু বলবিক্ৰমৰ সম্বাদ পাই যুজ নকৰি ভয়তে তেওঁৰ সৰ্ব্বাঙ্গ সুন্দৰী জীয়েক এজনী দিলে।

ৰত্নধ্বজে পুতেকৰ নিমিত্তে এই জীয়াৰী জনী আৰু কমতেশ্বৰৰ ক্ষমা প্ৰাৰ্থনা গ্ৰহণ কৰি যুজৰ পৰা ক্ষান্ত হ'ল। এই যুদ্ধযাত্ৰাতে ৰত্নধ্বজে গৌড়ৰজাৰ লগত কিছুদিন থাকি তেওঁৰে সৈতে সখি পাতিলে। তেওঁ নিজে ৰাজ্যলৈ উলটিবৰ সময়ত তেওঁৰ পুত্ৰ এজনক শিক্ষাৰ্থে গৌড়েশ্বৰৰ তাত থৈ আহিল। গৌড়েশ্বৰ আৰু ৰত্নধ্বজৰ ভিতৰত এনেকুৱা মিত্ৰতা হৈছি যে গৌড়েশ্বৰে ৰত্নধ্বজলৈ মাজে মাজে অসংখ্য কলহত গঙ্গাজল পঠাইছিল আৰু ৰত্নধ্বজেও কলহে কলহে গৌড়েশ্বৰলৈ পৰশুৰামৰ কুণ্ডৰ পানী পঠাই আছিল। দৈৱৰ দুৰ্বিপাকত গৌড়েশ্বৰৰ তাতে চুতীয়া ৰাজকুমাৰ বেমাৰত পৰি পৰলোকপ্ৰাপ্ত হ'ল। গৌড়েশ্বৰে কুমাৰৰ শৰটো বাপেকলৈ পঠাই দিলে। সেইসময়ত ৰত্নধ্বজে এখন নতুন নগৰ নিৰ্মাণ কৰাত লাগি আছিল। সেই নতুন নগৰতে পুতেকৰ শৰটো পাই পুতেকৰ স্মৃতিৰ অৰ্থে নগৰখনৰ নাম থলে শদিয়া। এয়ে হৈছে চুতীয়া ৰজাৰ অভ্যুদয় কাল। ৰত্নধ্বজ পালৰ দিনৰ পৰা চুতীয়া ৰজা নীতিপালৰ সময়লৈকে এইসকল চুতীয়া ৰজাই ৰাজত্ব কৰিছিল -

(১) ৰত্নধ্বজ পাল - অপৰ নাম গৌৰীনাৰায়ণ
খৃঃ ১১৬৪-১২২৩ = ৫৯ বছৰ ৰাজত্ব কাল।

(২) বিজয়ধ্বজ পাল - অপৰ নাম শিৱনাৰায়ণ
খৃঃ ১২২৩-১৩০১ = ৭৮ বছৰ ৰাজত্ব কাল।

(৩) বিক্ৰমধ্বজ পাল - অপৰ নাম জগৎনাৰায়ণ
খৃঃ ১৩০১-১৩২০ = ১৯ বছৰ ৰাজত্ব কাল।

(৪) গুৰুধ্বজ পাল - অপৰ নাম প্ৰদত্ত নাৰায়ণ
খৃঃ ১৩২১-১৩৯৯ = ৭৮ বছৰ ৰাজত্ব কাল।

(৫) হংষধ্বজ পাল - অপৰ নাম হৰিনাৰায়ণ
খৃঃ ১৪০০-১৪৪৪ = ৪৪ বছৰ ৰাজত্ব কাল।

(৬) মথুৰাধ্বজ পাল - অপৰ নাম গোলোক নাৰায়ণ
খৃঃ ১৪৪৪-১৪৮৮ = ৪৪ বছৰ ৰাজত্ব কাল।



(৭) জয়ধ্বজ পাল - অপৰ নাম ব্ৰজনাৰায়ণ
খৃঃ ১৪৮৮-১৫২৯ = ৪১ বছৰ ৰাজত্ব কাল।

(৮) কৰ্ম্মধ্বজ পাল - অপৰ নাম সত্যনাৰায়ণ
খৃঃ ১৫৩০-১৫৭৭ = ৪৭ বছৰ ৰাজত্ব কাল।

(৯) ধৰ্ম্মধ্বজ পাল - অপৰ নাম ধীৰনাৰায়ণ
খৃঃ ১৫৭৭-১৬৩১ = ৫২ বছৰ ৰাজত্ব কাল।

(১০) নীতি পাল - অপৰ নাম সাধকনাৰায়ণ
খৃঃ ১৬৩১-১৬৭৩ = ৪২ বছৰ ৰাজত্ব কাল।

ধৰ্ম্মধ্বজ পাললৈকে চুতীয়া ৰজাসকলৰ বাপেকৰ পৰা পুতেক ৰজা হৈছিল। ধৰ্ম্মধ্বজ পালৰ পুত্ৰ সন্তান জন্মা নাছিল। তেওঁ ঈশ্বৰৰ সেৱা, ঈশ্বৰত তুতি ভক্তি কৰোতে বুঢ়াকালত তেওঁ সাধনী নামেৰে এজনী কন্যাহে পালে। এই সাধনীক অনেক কুমাৰে বিয়া কৰাবলৈ বিচাৰিছিল। কিন্তু কাক দিব এইটো বাপেকে থিৰ কৰিব নোৱাৰিলে। অৱশেষত এদিন এটা কেৰ্কেটুৱা দেখি ৰজাই স্থিৰ কৰিলে - যে যেয়ে সেই কোণৰ কেৰ্কেটুৱাটো একেপাট শৰে মাটিলৈ বগৰাই আনিব পাৰিব তাকে তেওঁ সাধনীক বিয়া দিব। এজন সাধাৰণ চুতীয়া ডেকাই একেপাট শৰে সেই কেৰ্কেটুৱাটো মাটিত বগৰাই সাধনীক বিয়া কৰাবলৈ দাবী কৰিলে। ৰাজ কন্যাই কিন্তু সেই চুতীয়া ডেকাক বিয়া কৰাবলৈ পোন প্ৰথমে সন্মত নহৈছিল; কিন্তু যেতিয়া বাপেকে তেওঁৰ ৰাজ্য জীয়ক-জোঁৱায়েকক এৰি দিওঁ বুলিলে তেতিয়াহে সাধনী বিয়া সোমাল। বাপেকৰ নিজ প্ৰতিশ্ৰুতি মতে ৰাজ্য এৰি দিলে আৰু কুবেৰৰ দত্ত বস্তুবিলাকো দিলে। ৰাণীয়ে সোণৰ বিড়ালি থকা বাকছটো মেলি চাই দেখিলে সোণৰ বিড়ালিটো নাই। তেওঁ ভাত-পানী এৰিলে আৰু গিৰিয়েকে আন এটা সোণৰ বিড়ালি গঢ়ি দিয়াতহে শান্ত হল। দেউৰীসকলৰ মতে সাধনীয়ে যে সেই চুতীয়া লৰাক বিয়া কৰাবলৈ অস্বীকাৰ কৰিছিল ইয়াৰ কাৰণ সেই লৰাৰ গাত খৰ আছিল আৰু বাপেকে সেইজন ডেকাক ৰাজ্য গটাওতেহে সাধীনয়েও তেওঁত বিয়া সোমাবলৈ মনস্থ হৈছিল। দেউৰীসকলে এইজনা ৰজাক খৰে খোৱা ৰজা বোলে। আমাৰ অসমীয়া ভাষাত এটা ফঁকৰা আছে। সেইটো এই -

"সাধোতে সাধোতে সাধনীক পালো।
সাধনীক দিবলৈ দৰা নেপালো।"

সাধনীৰ গিৰিয়েকে নীতিপাল নাম লৈ ৰাজ্য শাসন কৰিবলৈ ধৰিলে। তেওঁৰ শাসন এনেকুৱা বেয়া হৈছিল যে প্ৰজাই তেওঁৰ নাম অনীতিপাল থৈছিল। আহোমসকলে যেতিয়া পাটকাইৰ পৰা সমতললৈ নামিছিল সেই সময়ত গড়গাঁৱত এজন চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা আছিল পূবে শদিয়া, পশ্চিমে শিৱসাগৰ, উত্তৰে দৰং, দক্ষিণে পাটকাই। আহোমে প্ৰথমতে মৰাণ আৰু বৰাহী নামৰ দুই জাতৰ লগত ৰণ

বিগ্ৰহ কৰি ললে। ইয়াৰ পিছত চুতীয়াসকলৰ সৈতে লেল্-পেল্ যুঁজ আৰম্ভ কৰিলে। খৃঃ ১৩৭৬ শকত চুতীয়া ৰজা গুৰুধ্বজপাল বা প্ৰমত্ত নাৰায়ণে আহোম ৰজা চুটুফাক সাফ্ৰাই নৈত খেল নাও খেলিবলৈ মাতি নি অন্যায়ৰূপে হত্যা কৰিলে। ইয়াৰ ২২৫ বছৰৰ পিছত আহোমৰে আৰু চুতীয়াৰে যি ৰণ হয় সেই ৰণত শহুৰ আৰু জোৱাঁই - অৰ্থাৎ ধৰ্ম্মধ্বজ আৰু নীতিপাল উভয়ে হত হয়। যুদ্ধত জয়ী আহোম ৰজা চুহুংমুঙে চুতীয়াৰ ৰজা আৰু জোঁৱায়েক নীতিপাল উভয়েৰে মূৰ দুটা কাটি তেওঁৰ চুমদেউৰ মন্দিৰৰ ওপৰলৈ উঠা খটখটিৰ তলত পুতি থলে। আহোম ৰজাই নীতিপালৰ পুত্ৰ সাধক নাৰায়ণক নামাৰি পূবে বৌটা, পশ্চিমে ধনশিৰি, উত্তৰে কুবেৰৰ আলি, দক্ষিণে ব্ৰহ্মপুত্ৰ এই খণ্ড দেশত ১২ ঘৰ পাইকে সৈতে থাপিলে। সাধক নাৰায়ণে বছৰি আহোম ৰজাক ২ তোলা সোণ, ৮০ টকা ৰূপ, ৪০ খন থঙ্গা কৰ স্বৰূপে দিবলৈ গাত ললে। চুতীয়া ৰজাৰ পাত্ৰমিত্ৰ মন্ত্ৰী এই সকলকো আহোম ৰজাই ঠায়ে ঠায়ে থলে। ১৭ শ খৃষ্টাব্দত চুতীয়া ৰাজ্য আৰু শদিয়া চুতীয়াৰ হাতৰ পৰা সৰকি আহোমৰ হস্তগত হয়। বিধি আছে চুতীয়াৰ ৰাজকন্যা সাধনীয়ে আহোমৰ হাতত পৰাতকৈ মৃত্যুৰেই শ্ৰেয় মানি আত্ম হত্যা কৰিলে।

দেউৰীসকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাৰ জীৱনটো চুতীয়া ৰজাৰ মাকৰ চুলি তাৰত নিবদ্ধ আছিল। সেই কাৰণেই আহোমে ৩০০ বছৰেও চুতীয়াক বলে পৰা নাছিল। কিন্তু যেতিয়া ৰজা নীতিপাল অত্যন্ত গৰ্বী হৈ উঠিল; প্ৰজাক উৎপীড়ন কৰিলে, আকাশ পাতাল নমনা হ'ল তেতিয়া দেৱতাসকলৰ তেওঁৰ ওপৰত খং উঠিল আৰু তাৰ ফলত এজন চুতীয়া দেউৰীয়ে মনে মনে আহোমৰ ফলিয়া হৈ ৰজাৰ মাকৰ চকুত নজনাকৈ ধূলা পেলাই দিলে আৰু সেই ধূলা গুছাই দিওঁ বুলি ছলেমে ৰজাৰ মাকৰ চুলিতাৰ কাটিলে। চুলি কটা মাত্ৰ ৰজাৰ আয়ু-ক্ষীণ হল আৰু সেই দেউৰীয়ে পিছত ৰজাক গুপ্ত হত্যা কৰিলে।

চুতীয়াসকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাই নিতৌ চৰাইদেউ শালত গোঁসানী পূজা কৰি থকাৰ নিমিত্তে আহোম ৰজাই চুতীয়া ৰজাক কোনো ৰকমে বলে নোৱাৰি শেহত আহোম ৰজায়ো মনে মনে সেই চৰাইদেউৰ শালত গোঁসানীক পূজী গোঁসানীৰ পৰা বৰ লৈহে চুতীয়াক পৰাস্ত কৰিব পাৰিছিল।

দৰঙ্গ (ঙ+গ) ৰজাৰ বংশাৱলী মতে আহোম ৰজালৈ হেনো চুতীয়া ৰজাৰ জীয়ৰী এজনীৰ বিয়া দিছিল। সেইজনা জীয়াৰীয়ে গিৰিয়েকৰ ফুচুলনিত বাপেকৰ পৰা সোণৰ বিড়ালী চুৰ কৰি নে খুজি গিৰিয়েকৰ হাতত দিলে। কুবেৰে দিয়া সোণৰ বিড়ালীটো আহোমৰ হাতত পৰাতহে চুতীয়া ৰজা শ্ৰীহীন হৈ আহোমৰ হাতত পৰাস্ত হল। দৰঙ্গ (ঙ+গ) ৰজাৰ বংশাৱলীত এইদৰে পদ আছে -

পূৰ্বে চুতীয়াৰজা যিঠাৰে আছিল।



অন্যায়ে অসম ছল কৰিয়া মাৰিল।।
যিমতে মাৰিলে তাৰ শুনিও কাহিনী।
বলে নপাৰিয়া স্বৰ্গীয়ৰজা মনে গুনি।। ৩৬৪
ৰজাৰ কন্যাক বিহাইলন্ত মিত্ৰ কৰি।
ৰাজায়ো দিলন্ত কন্যা তাহাঙ্ক সাদৰি।।
একদিনা কন্যাত পুছন্ত স্বৰ্গী দেৱ।
তোমাৰ পিতৃক বলে নাপাৰন্ত কেৱ।। ৩৬৫
কিবা হেতু নপাৰে কহিয়োঁ প্ৰাণেশ্বৰী।
হেন শুনি কন্যা বাক্য বুলিও সাদৰি।।
আমাৰ পিতৃঘৰে আছে এক জন্তু।
সোণৰ বিল্লাল তাৰ শুনিয়োক হেতু।। ৩৬৬
তাকে পূজা কৰি যদি ৰণক চলয়।
অৱশ্যাকে সিটো ৰণ নৃপতি জিনয়।।
হেন শুনি অসম ৰজায়ো বুলিলন্ত।
মোক প্ৰতি স্নেহ তযু কৃতক আচন্ত।। ৩৬৭
কিবা নোত দয়া কিবা শশুৰত চাৱ।
ঝান্টে কহা প্ৰাণেশ্বৰী আগত আমাৰ।।
কন্যা বোলে তুমি চাৱ সমস্তকে কৰি।
হেন শুনি ৰাজা বাক্য বুলিলা সাদৰি।। ৩৬৮
সোণৰ বিড়ালী গোট মোক দিয়া আনি।
আনি দিবো কন্যায়ে বুলিলা হেন বাণী।।
বাপেকৰ ঘৰ গই বিড়াল খুজিলা।
হেনশুনি নৃপতিয়ে মনত গুণিলা।। ৩৬৯
দৈবে বিড়ম্বিলা মোক আন নাহিকন্ত।
সুবৰ্ণ বিড়াল খনি জীউক দিলন্ত।।
অসম ৰজাক নিয়া দিলন্ত তেইনে।
তাক পাই শত্তুৰক মাৰিলন্ত ৰণে।। ৩৭০
তাৰ পুত্ৰ ভাই যত সকলে পলাইল।
মিৰি মিচিমিত পশি প্ৰাণক ৰাখিল।।
চুতীয়া ৰজাক মাৰিয়া ছলে বলে।
নৈলা সেহি ৰাজাক অসমে কৌতুহলে। ৩৭১

আহোম ৰজাই চুতীয়া ৰজাক যুজত ঘটুৱাই ৰাজ্য দখল কৰি লৈ চুতীয়াসকলক চাৰিওদিশে

সিচঁৰিত কৰিলে।

শদিয়াৰ পৰা তেওঁলোকৰ অনেককে নিৰ্বাসিত কৰি, শিৱসাগৰ, দৰঙ্গ, এইবিলাক ঠাইত থলে। কিছুমান চুতীয়াই আহোমৰ লগলাগিল। আহোমৰ আচাৰ পদ্ধতি গ্ৰহণ কৰিলে। তেওঁবিলাকে তেতিয়াৰে পৰা আহোম চুতীয়া নাম পালে। যিসকলে আহোমৰ লগ নালাগি হিন্দুয়েই হ'ল, সেই সকলক ইসকলে হিন্দু চুতীয়া বুলিব ধৰিলে। দেউৰীসকল আগৰ দৰেই ৰল। যদিও মদ মঙ্গহ ব্যৱহাৰ কৰে তথাপি আহোমৰ লগ নালাগিল।

পৰাজয় কৰি উঠাৰ পিচত আহোম ৰজাই চুতীয়াসকলক প্ৰধান দুই শ্ৰেণীত বিভক্ত কৰি ৰজাঘৰীয়া বিষয়ত নিযুক্ত কৰিছিল। প্ৰধান দুই শ্ৰেণী হৈছিল চমুৱা আৰু কাড়ি। চমুৱা সকলক এই বিষয়ত ৰাখিছিল।

(১) খনিকৰ - অৰ্থাৎ শিল্পবিদ্যাত নিযুক্তসকল।

(২) দোলাকাষৰীয়া - ৰজাৰ দোলাৰ কাষে কাষে অস্ত্ৰ-শস্ত্ৰ লৈ যোৱা ৰজাৰ ৰক্ষক সকলক।

(৩) দা-ধৰা।

(৪) কুকুৰাচোৱা।

(৫) নাওবৈছা।

(৬) ভৰলুৱা।

(৭) জাপিসজিয়া।

(৮) সেনচোৱা আদি।

আদি কাড়িসকলৰ নাম তেওঁবিলাকৰ থকা ঠাই অনুসৰি হৈছিল - যেনে, তিপমীয়া, বাঁহবৰীয়া, শলাল, গজপুৰীয়া, অভয়পুৰীয়া, বৰকচাৰিশায়ক, সৰুকচাৰিশায়ক, নামদৈয়ঙ্গীয়া, ওপৰদৈয়ঙ্গীয়া।

দেউৰীসকলৰো চাৰি খেল হৈছিল। তেওঁলোকৰ থকা ঠাই আৰু আৰাধ্য দেৱতাৰ মান অনুসৰি। (১) দিবঙ্গীয়া, (২) বৰগঞা, (৩) টেঙ্গাপনীয়া, (৪) পাটৰগঞা ইত্যাদি। দিবঙ্গীয়া খেলৰ কুণ্ডিল নৈৰ পাৰত এটা মন্দিৰ আছিল। দিবঙ্গীয়া খেলৰ ভিতৰত এইবিলাক ফৈদ -

(১) সুন্দৰিও - এওঁবিলাক বুঢ়া-বুঢ়ী অৰ্থাৎ মহাদেৱ-পাৰ্বতীৰ পূজক।

(২) আইৰিও - এওঁবিলাকক বৰভৰালীও বোলে। প্ৰবাদ আছে এওঁবিলাক হেনো সদাশিৱৰ পৰা উৎপন্ন।

(৩) পাতিৰিপ - এওঁবিলাক সৰু দেউৰী।

(৪) কমতা - সৰুভৰালীৰ খেল এইৰিও সৈতে সম্পৰ্ক লগা।

(৫) শিতিগাওঁ - যিসকলে দেৱতাৰ অৰ্থে পচা তুলি ফুৰিছিল। সুন্দৰীও সৈতে সম্পৰ্ক লগা।



(৬) মৰা - যিসকলে খেতি-বাতি কৰে।

(৭) তেহাৰিও

(৮) লাগাশে

(৯) লগাও দেৱতাৰ ভোগত দিবৰ নিমিত্তে খেতি কৰা মানুহ।

(১০) কুমাৰ - চৰু ছাড়ি সজাসকল।

(১১) কনিয়াচকু - পচা তোলাত যিসকলে পাচি বা ভাৰ লৈ ফুৰিছিল।

(১২) শুক্ৰাং - গাঁওবুঢ়া।

বৰগঞা খেলৰ উৎপত্তি বৰগাঁৰত থকা বাবে। এওঁবিলাকৰ চুনপোৰাত ব্ৰহ্মপুত্ৰৰ দাঁতিত এটা মন্দিৰ আছিল। এওঁবিলাকৰো সাত ফৈদ। তাৰে চাৰি ফৈদৰ নাম -

ইকুশাৰু - বৰদেউৰী

লুফাৰু - সৰুদেউৰী

হিজৰ - বৰভঁৰালী

বুশাৰু - সৰুভঁৰালী, বাকী ফৈদৰ নাম নেজানো।

টেঙ্গাপনীয়া খেল - এওঁলোকৰ টেঙ্গাপানী নৈৰ পাৰত এটা মন্দিৰ আছিল। এওঁবিলাকৰ মানুহ এই কেইফৈদ -

| | |
|---|---|
| (১) মুচায়ো | (৪) ফাজি মাগুৰাও |
| (২) | (৫) তাজুইও |
| (৩) | (৬) ছাক্চুবগিয়া, ইত্যাদি। |

পাটৰগঞা ফৈদৰ মানুহ আজি কালি নাই। এয়ে আমাৰ চুতীয়া ভাতৃসকলৰ চমু বৃতান্ত। চুতীয়া ৰজাসকলৰ নামৰ পিছত পাল উপাধিটো থকা বাবে কোনো প্ৰত্নতাত্বিকে কয় যে, চুতীয়াৰ ৰজাসকল ৰত্নধ্বজকে আদি কৰি ধৰ্ম্মধ্বজলৈকে ভাটিৰ পালবংশীয় ৰজাৰ বংশৰ কোনো এটা ঠাল বা ঠেঙ্গুলী। ৰজা নোহোৱা চুতীয়াসকলৰ ওপৰত ভাটিৰ পৰা আহি ৰাজত্ব কৰিছিল, আৰু নীতিপাল অৰ্থাৎ শেহৰজন ৰজা কোনোবা পৰ্বতীয়া চৰ্দ্দাৰ চুতীয়া বা পাল বংশী ৰজা দুৰ্ব্বল হোৱাত নীতিপালে আহি চুতীয়া ৰাজ্যও লয় আৰু সাধনীকো হস্তগত কৰে। অসভ্য পৰ্বতীয়া দেখিয়েই সাধনীয়ে প্ৰথমতে বিয়া সোমাবলৈ খোজা নাছিল, কিন্তু যেতিয়া দেখিলে যে সাৰিবৰ উপায় নাই তেতিয়া বিয়া সোমাল। আমাৰ বিবেচনাৰে কিন্তু এইমত একেবাৰে ভুল ইয়াৰ কোনো ভেঁটি নাই। পালবংশৰ কোনো ৰজায়ে উজনী বিশেষ শদিয়া আক্ৰমণ কৰা ক'তো নাপাওঁ। এইটো সকলোৱে জানে যে আমাৰ আহোম ৰজাসকলেও নিজৰ আহোম নাম থকা স্বত্ত্বেও হিন্দুৰ নামলৈ ক্ষত্ৰীয় সিংহ উপাধিটো নামৰ পিছত গ্ৰহণ কৰিছিল-যেনে শিৱসিংহ ৰুদ্ৰসিংহ, ইত্যাদি ইত্যাদি। এই অনুক্ৰমেই আমাৰ চুতীয়া ৰজা ৰত্নধ্বজেও পালবংশক যুজত ঘটোৱাই, পালবংশৰ জীয়াৰী বিয়া কৰাই 'পাল' উপাধিটো গ্ৰহণ কৰিছিল।

নীতিপাল পৰ্বতীয়া অসভ্য চৰ্দ্দাৰ আছিল। দেউৰীসকলে দঢ়াই দঢ়াই কয় যে নীতিপাল চুতীয়া যুৱক আছিল। তেওঁৰ গাত অলপ খৰ থকাৰ কাৰণেহে সাধনীয়ে তেওঁত বিয়া সোমাবলৈ প্ৰথমতে মান্তি নহৈছিল। কিন্তু যেতিয়া দেখিলে যে নীতিপালে ক্ষত্ৰীয়য়োচিত বীৰত্ব আৰু বিদ্যা দেখুৱাই সাধনীৰ বাপেকৰ অঙ্গিকাৰ পূৰ্ণ কৰিলে তেতিয়া তেওঁ ধৰ্ম্মৰক্ষাৰ অৰ্থে নীতিপালকে বিয়া সোমাল। সাধনী এলা-পেছা তিৰুতা হোৱা হলে আত্মহত্যা নকৰি আহোমৰ কৰতলীয়া হৈ থাকিলহেঁতেন।

**বিবাহাদি আচাৰ পদ্ধতি ঃ**

স্বাধীনতা অৱস্থাত থকা কালত অৰ্থাৎ আহোমসকলৰ হাতত পৰাজিত হোৱাৰ আগলৈকে সমস্ত চুতীয়া জাতিটোৱেই সকলো বিষয়তে হিন্দুৱেই আছিল। চুতীয়া ৰজাসকলে হিন্দু ক্ষত্ৰীয়বংশী পাল ৰজা, কমতাপুৰৰ ৰজা এইসকলৰ সৈতে বিবাহ সূত্ৰত আৱদ্ধ আছিল। বিবাহত হোম পুৰি বামুণে বেদোক্তমন্ত্ৰ উচ্চাৰণ কৰি চুতীয়াসকলৰ বিবাহ কাৰ্য্য সম্পন্ন কৰিছিল। চুতীয়াসকলে নিজৰ ভিতৰতেও আৰু মাজে-সময়ে আমাৰ অসমীয়া আন হিন্দুৰ সৈতেও বিবাহাদি আদান-প্ৰদান কৰিছিল। সম্পতিৰ উত্তৰাকাৰীও চুতীয়াসকলৰ মাজত হিন্দু দায়ভাগৰ নিয়মেই চলি আছে। শ্ৰাদ্ধ বিবাহাদি ইত্যাদি সমস্তই হিন্দুৰ দৰে। কোনো বিভিন্নতা নাই। এই সমস্ত কাৰণে বৰ্ত্তমানলৈকে হিন্দু চুতীয়াসকল সম্পূৰ্ণ ক্ষত্ৰীয় হিন্দুৱেই। যিসকল চুতীয়াই পৰাজিত হৈ আহোমৰ লগ লাগিছিল সেইসকলৰ নামো হৈছিল আহোমচুতীয়া আৰু সেই কালত তেওঁবিলাকৰ আচাৰ পদ্ধতিও হৈছিল আহোমৰ দৰে; কিন্তু আজিকালি আমাৰ আহোম ভাতৃসকলো হিন্দু হোৱাৰ লগে লগে আমাৰ আহোমচুতীয়া সকলো আজিকালি হিন্দুৱেই। সেই দেখি আজিকালিৰ দিনত আহোমচুতীয়া বা হিন্দুচুতীয়া বুলি দুটা বেলেগ বেলেগ জাতি নাই বুলিলেও হয় আৰু কৰ'বাত ভিন্নতা আছেও তেনেহ'লে তাকো উঠাই দি সমস্ত চুতীয়ায়ে এক হোৱাই উচিত।

যেনেকৈ আহোমৰ অভ্যুদয়ৰ কালত অনেক চুতীয়া আনকি হিন্দুও আহোম হৈছিল, ভাটীৰ ফালে মুছলমান ৰাজত্ব কালত অনেক হিন্দু মুছলমান হৈছিল সেইদৰে চুতীয়াসকলৰ অভ্যুদয়ৰ কালত কোনো কোনো বৰাহীও চুতীয়াৰ ভিতৰত সোমাইছিল। বৰ্ত্তমান দেউৰী আৰু বৰাহীসকলৰ আচাৰ নীতি পৃথক, তেওঁলোকৰে সৈতে চুতীয়াসকলৰ বিবাহাদি কোনো আদান প্ৰদান নাই; কিন্তু যদি কোনো বৰাহী বা দেউৰীয়েই অখাদ্য ত্যাগ কৰি চুতীয়াৰ ভুক্ত হ'ব খোজে তেন্তে সেইসকলকো আমাৰ চুতীয়া ভাতৃসকলে গুৰুঘৰ সকলৰ সন্মত লৈ নিজৰ ভিতৰত ভুক্তকৰি ললে ভালত বাজে একো বেয়া নহয়।



**ধৰ্ম বিশ্বাস ঃ**

বৰ্ত্তমান কালত চুতীয়াসকলৰ অসমৰ আন আন হিন্দুসকলৰ দৰেই বৈষ্ণৱ ধৰ্ম্মৰ মানুহ। আগৰ কালত চুতীয়া ভাতৃসকলে দেৱী পূজক তান্ত্ৰিক আছিল। দেউৰীসকলৰ ধৰ্ম্ম একপ্ৰকাৰ তান্ত্ৰিক বীৰাচাৰী শক্তি ধৰ্ম্মক বুলিব পাৰি। তেওঁবিলাকে লক্ষ্মী, সৰস্বতী, দুৰ্গাদেৱী, মহাদেৱ এইসকলক মানে আৰু পূজে। দেউৰীসকল যে সুন্দৰ দেৱীপূজক তাৰ প্ৰমাণ তেওঁবিলাকৰ উৎপত্তিৰ বিৱৰণটোৱেই দিয়ে। তেওঁবিলাকৰ ভিতৰত এটা প্ৰবাদ আছে যে এসময়ত দুৰ্গাদেৱী মাতৃ শিলাস্বৰূপে দিবঙ্গ নৈত ভাহি উঠিছিল। সেই দুৰ্গাদেৱীক ব্ৰাহ্মণসকলে আৰু আন আন কোনো হিন্দুৱেই নিব নোৱাৰিলে। পিছত কেইগৰাকীমান চুতীয়াই আহি মাতৃক তুতি-নতি কৰাত মাতৃ নিজে নিজে পাতল হ'ল। তেতিয়া সেইকেইগৰাকী চুতীয়াই মাতৃক দোলা কৰি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপিলে। সেই কালৰে পৰা এই দোলা কঢ়িৱা চুতীয়াসকলৰ বংশধৰ সকলেই দেউৰী হ'ল; আৰু শদিয়াৰ বিখ্যাত তাম্ৰেশ্বৰী মাতৃৰ পূজক, পুৰোহিত, পচাতোলা হল। এই তাম্ৰেশ্বৰী মন্দিৰত দেৱীক পূজিবলৈ হিন্দুস্থানৰ ডাঙৰ ডাঙৰ বীহচাৰী শাক্তসকল আহিছিল; আনকি দেৱীক পূজিবলৈ তিব্বত, চীন ইত্যাদি ঠাইৰো মানুহ আহি মাতৃক পূজিছিল। সকলো মানুহেই আনকি আবৰ, মিচিমি, চিংফৌ ইত্যাদিসকলেও এই মন্দিৰত ভয় আৰু ভক্তি কৰিছিল। এইটোও অৱশ্যে জনাজাত কথা যে এই মন্দিৰত বছৰি এটা নৰবলি হৈছিল। এই নৰবলি বিষয়টোক লৈ কোনো কোনো প্ৰত্নতাত্বিকে কব খোজে যে যি মানুহে নৰবলি কৰিছিল সেইসকল অনাৰ্য্য অহিন্দু আছিল। চুতীয়া সকলে নৰবলি চলাইছিল সেই দেখি তেওঁলোক অহিন্দু অনাৰ্য্য আছিল। এনেকুৱা মতও মোৰ বিবেচনাৰে একেবাৰে অসাৰ। নৰবলি মধ্যযুগত হিন্দুৰ ব্ৰাহ্মণ ক্ষত্ৰীয় এইসকলেও চলাইছিল। তাৰ প্ৰমাণ অলেখ অসংখ্য। আদিতে এই নৰবলিৰ প্ৰথাটো আছিল যে যি সকলক ৰজাই প্ৰাণদণ্ড বিহিছিল। কোনো ৰাজদ্ৰোহ, নৰহত্যা অপৰাধত এনেকুৱা মানুহকহে কোনো এক কালী বা দুৰ্গাৰ মন্দিৰত গোসাঁনীৰ আগত, মাতৃৰ আগত, সেই মানুহটোৰ আত্মাৰ মুক্তিৰ নিমিত্তে মৰণকালত মাতৃৰ চৰণ দেখি সাৰিবৰ নিমিত্তে, বলি দিছিল, আৰু আজিকালি যেনেকৈ ফাচি দিয়া কাণ্ডটো চাই সেইদৰেই সেই কালতো এই নৰবলি বিলাক উৎসৱৰ দৰে হৈছিল। শঙ্খ, ঘন্টা বজাই স্তৱে স্তুতিয়ে বলিদিয়া মানুহটোক উৎসাহিত কৰি ধৰ্ম্মভাৱেৰে মত্ত কৰি তাক এককোবে কাটি প্ৰাণ সংহৰণ কৰি ৰাজআজ্ঞা প্ৰতিপালন কৰিছিল। কালক্ৰমত যতে-ত'তে (অকল তাম্ৰেশ্বৰী মন্দিৰতেই নহয় ভাৰতৰ আন আন দেৱী মঠ বিলাকতো যেনে কামাখ্যাত জৈয়ন্তীয়াৰ কালজুৰ মঠত) এই নৰবলিটো, অজ্ঞান এন্ধাৰত ডুবি থকা ৰাইজৰ সন্তোষৰ অৰ্থে, অথবা ধৰ্ম্মত উন্মত্ত হোৱা দুই এজন বীৰচাৰী সাধকৰ অন্ধবিশ্বাসৰ উত্তেজনাত, এটা বছৰেকীয়া আৱশ্যকীয় অনুষ্ঠানৰ দৰে হৈ পৰিছিল। বছৰি দোষী বা বিদ্ৰোহী নোপোৱাৰ কাৰণে ৰজাঘৰৰ পৰা এটা বন্ধা নিয়ম মতে, নিৰ্দ্দোষী

মানুহ একোটাকে বলি দিয়া হৈছিল। ৰাইজৰ সন্তোষৰ অৰ্থে নিৰ্দোষী মানুহক বলি দিয়াৰ বিষয়ে পূজ্যপদ শ্ৰীশ্ৰীযুত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পুথি এখনত পাব। বীৰচাৰী সাধকে উন্মত্ত হৈ নিৰ্দ্দোষী মানুহক বলি দিবলৈ বিচৰাৰ কথা ঁ বঙ্কিমচন্দ্ৰৰ কপাল কুণ্ডলাতে বিষদ উদাহৰণ পাব। সেই কপালিকজনে কেনেকৈ নৰকমানক বলি দিবলৈ বিচাৰিছিল, চেষ্টা কৰিছিল তাৰ বৰ্ণনা বৰ বিশদ ৰূপে পাব। তাম্ৰেশ্বৰী মন্দিৰত বছৰি বলি দিবৰ নিমিত্তে আহোম ৰজাই চুতীয়াক পৰাস্ত কৰি উঠিও এখেল মানুহ থৈছিল। সেই খেলক সাৱৰ খেল বোলে। সেই খেল মানুহৰ কৰ কাতল সমস্ত মাফ আছিল। সেই খেল চুতীয়া মানুহৰ পৰা বছৰি এটা ডেকা মানুহক বলি দিছিল। মান আহি দেশ লণ্ড ভণ্ড কৰিবৰ পৰাহে শদিয়াৰ এই নৰবলি প্ৰথা উঠিল। তাম্ৰেশ্বৰী মন্দিৰত সেই কালত নৰবলিৰ হোৱাৰ বাবেই যে চুতীয়াসকল অনাৰ্য্য আছিল সেইটো নহয়। নৰবলি আৰ্য্যৰ ভিতৰত ব্ৰাহ্মণ ক্ষত্ৰীয়ৰ ভিতৰতো একালত আছিল। বৰ্ত্তমানেও দূৰ্গাপূজাত ব্ৰাহ্মণেহে ছাগলী আৰু ম'হক বলি দিয়াৰ আগেয়ে উৰ্ছ্গা কৰি দি শান্তিজল চটিয়াই দিয়ে। তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলিৰ নিমিত্তে দেউৰী আৰু চুতীয়াসকল অনাৰ্য্য পৰ্বতীয়া হ'ব নোৱাৰে। এইবিলাক বিৱৰণৰ পৰা আৰু বৰ্ত্তমান শদিয়াত যি যি ধ্বংসাৱশেষ আছে তাৰপৰা ভীষ্মক নগৰ, কুণ্ডিলপানী ইত্যাদি নামৰ ঠাইৰ পৰা, আৰু আমি সৰুৰে পৰা পিতৃ-পিতামহ সকলৰ পৰা শুনি অহা আখ্যানৰ পৰা শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ পদৰ পৰা থিৰ কৰি জানিছিলো যে এই সদিয়াই আগৰ মহাভাৰতৰ কালৰ ভীষ্মক ৰজাৰ ঠাই যাৰ জীয়েক ৰুক্মিণীক প্ৰভু কৃষ্ণই দ্বাৰকাৰে পৰা হিমালয়ৰ দাঁতিয়ে দাঁতিয়ে এটা আলি বন্ধাই বৰণ কৰিবলৈ গৈছিল। আমাৰ এই বিশ্বাসক ৰায়চাহাব শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ ইংৰাজী পুথিখনে দৃঢ় কৰি ৰাখিছিল। আমি জানি থৈছিলো যে ভীষ্মক আগৰৱালা দেৱৰ মতে উত্তৰ-পূব কোণৰ পৰা অহা সেই সেই আৰ্য্য সকলৰে এজন ক্ষত্ৰীয় ৰজা আছিল, তেওঁৰ ৰাজ্যত অৰ্থাৎ সদিয়া অঞ্চলত একালত শুদ্ধ সাত্ত্বিক ব্ৰাহ্মণো আছিল। যিসকলৰ এজনক অৰ্থাৎ বেদনিধিক ৰুক্মিণী আইদেৱে প্ৰভু কৃষ্ণৰ ওচৰলৈ পঠাইছিল। কিন্তু এতিয়া আমাৰ বৃদ্ধ বয়সত আমাৰ বন্ধু শ্ৰীযুত কমলাকান্ত হাজৰিকাৰ "শুদ্ধৰণী আৰু মানস সৰুবৰ" নামেৰে প্ৰবন্ধৰ পৰা জানিলো যে শদিয়া মহাভাৰতৰ ভীষ্মকৰ দেশ নহয়। হ'লে আন কোনো ভীষ্মকৰহে দেশ; কিন্তু চুতীয়াসকল কাশ্যপ গোত্ৰীয় ক্ষত্ৰীয়। আচল ভীষ্মকৰ দেশখন হেনো বিন্ধ্যা পৰ্বতৰ দক্ষিণেহে আছিল, আৰু আমি হোনো আন ঠাইৰ ঘটনা এটা অৰ্থাৎ বিন্ধ্যা পৰ্বতৰ দক্ষিণৰ দেশখনক জোৰ কৰি টানি আনি শদিয়াত থাপি সত্যৰ অপমান কৰি দুৰ্বলতাহে পৰিচয় দিছোঁ। হাজৰিকাৰ মতে শদিয়া ভীষ্মকৰ দেশ নহয়, কিন্তু চুতীয়া সকল হ'লে কাশ্যপ গোত্ৰীয় ! চুতীয়াসকল যদি মহভাৰতৰ সময়ৰ ভীষ্মকৰ বংশৰ আৰু তেওঁবিলাক ক'ৰপৰা আহিল; কেনেকৈ ক্ষত্ৰীয় হ'ল এই বিষয়ে আমাক সবিশেষ বিৱৰণ দিব বুলি আজিলৈকে বাট চাই আছো। শদিয়াই যে "মহাভাৰতৰ সময়ৰ



ভীষ্মকৰ দেশ" আমাৰ আজি এতেদিনৰ মিঠৈ লাডুটো হাজৰিকাদেৱৰ অনুসন্ধানে একেকোবেই হাত দিলেই ভাগি যোৱা এৱালাডুটোত পেলাব খোজোতেহে অলপ দুখ পাইছো। যি কি নহওক আমি কিন্তু একলেখিয়া অকৰা ল'ৰা। বিন্ধ্যাপৰ্বতৰ দক্ষিণ ডোখৰহে ভীষ্মকৰ দেশ এই কথা কাহানিবাই ডেকাকলতে শুনিছিলো কিন্তু কথাটো আজিলৈকে মানি লব পৰা নাই। ইয়াৰ কাৰণ প্ৰত্নতত্ত্ব বোলা বিষয়টো বৰ বেমেজালীয়া বিধৰ। হে'ৰ সিদিনাখন কালিদাস ক'ৰ মানুহ ক'ত উপজিছিল এই কথা লৈয়ে বিবাদ চলিছে। চেক্সপিয়েৰৰ নাটকেইখন লৈও ইংলণ্ডত এতিয়ালৈকে জল্পনা কল্পনা চলিব লাগিছে। কেৱে কয় চেক্সপিয়েৰ বোলা এটা মানুহে সেই নাটবিলাক লেখিছিল। লৰ্ড বেকনহে চেক্সপিয়েৰৰ নামদি নাটবিলাক লিখিছিল। প্ৰমাণ? লৰ্ড বেকনৰ ভাষা আৰু চেক্সপিয়েৰৰ নাটকবিলাকৰ ভাষাই প্ৰায় মিল। কেৱে কয় যে এটো নহয় চেক্সপিয়েৰ নামৰ মানুহ এটায়ে লেখিছিল। কেৱে কয় সেইটো নহয় সেইকালৰ নাট্যসমাজৰ কেতখিনি মানুহে ষ্টেজত অভিনয় কৰিবৰ নিমিত্তে মিলিজুলি এই নাটবিলাক লিখিছিল। যি স্থলত ৩/৪ শ বছৰ ঘটনালৈয়ে বেমেজালি তেনেস্থলত ৪/৫ হেজাৰ বছৰৰ আগৰ কথা এটা সঠিক হৈ উঠিছে বুলি কেনেকৈ ধৰি লওঁ। বিন্ধ্যা পৰ্বতৰ দক্ষিণ ডোখৰেই নে আবৰ আৰু মিচিমি পৰ্বতৰ দক্ষিণ ডোখৰেই - ভীষ্মকৰ দেশ এই কথটো আমাৰ মনেৰে এতিয়াও থিৰাং হৈ উঠা নাই। সেইদেখি আমি শদিয়াকে মহাভাৰতৰ সময়ৰ ভীষ্মকৰ দেশ বুলিছো আৰু বুলিমো। অৱশ্যে ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ বিষয়ে যদিও সত্যচৰণ শাস্ত্ৰীয়ে তেওঁৰ কৈলাশ ভ্ৰমণ নামৰ পুথিত একোকে কোৱা নাই তথাপি - শ্যেন হেডিনৰ মতটোকে মানি ললোঁ। কিন্তু ভীষ্মকৰ দেশখনৰ বিষয়ে হাজৰিকাদেৱৰ সিদ্ধান্তটো মানি লব নোৱাৰি দুঃখিত হলোঁ। তেওঁৰ এইটো সিদ্ধান্ত মানি লবলৈ হ'লে আন এজন প্ৰত্নতাত্ত্বিকৰ মতে বাণৰজাৰ তেজপুৰখনক নি সিন্ধু প্ৰদেশত থব লাগিব। নৰকক নি এচিৰিয়া (মেচ-মটমীয়াৰ সিফালে) থৈ সবলতাৰ পৰিচয় দিব লগাত পৰিম। যিহেতু এচিৰিয়া পৰা অসুৰবংশ, সিৰিয়াৰ পৰা সুৰবংশ হৈছে বুলি এজন প্ৰত্নতাত্ত্বিকে কৈছে। আমাৰ মৰমৰ অসমখন তিনিওটা নামজ্বলা ঠাইকে একাদিক্ৰমে, চিজিলক্ৰমে পশ্চিমলৈ ঠেলি নি থৈ আহি অসমখনক আগৰ অসভ্যদেশ, মঙ্গলি দেশ নগা আবৰৰহে আবাসস্থান এনেকুৱা লিখত পেলাই আমাৰ বল-বিক্ৰম বঢ়াবলৈ বৰ টান পাওঁ। আমি থেলি নি থলেও শদিয়াত যিবিলাক বৰ্ত্তমান চিনমোকাম ধ্বংসাৱশেষ আছে সেইবিলাকে দেখোন ভীষ্মকক শদিয়ালৈ - টানি আনে তেজপুৰৰ মঠ-মন্দিৰৰ ধ্বংসাৱশেষ বিলাকে বানক তেজপুৰলৈকে টানে আৰু কামৰূপৰ পুৰণি চিনমোকামে জনশ্ৰুতি বুৰঞ্জী, গোটেইবিলাকেই নৰকক কামৰূপলৈ আনে। শদিয়াৰ বৰ্ত্তমান শাসনকৰ্ত্তা মহোদয় বিদ্যোৎসাহী আৰু প্ৰত্নতত্ত্বত ৰাগ থকা শ্ৰীযুত বালাঘান চাহাবে শদিয়াৰ বিষয়ে কিদৰে লিখিছে শুনক—

শদিয়াৰ উৎপত্তি বিষয়ক কথা বুৰঞ্জীয়ে যিদৰেই কওক এইটো থিৰাং যে শদিয়াত

ভালেমান পুৰণি ধ্বংসাৱশেষ আছে। যি ধ্বংসাৱশেষবিলাকে এতিয়াও এসময়ৰ গৌৰৱ প্ৰকাশ কৰে। দেওপানী আৰু দিবং নৈৰ ওচৰত ভালেমান পুখুৰী আছে কেতবিলাক ডাঙ্গৰ, আনকি ৫ পুৰা মাটিৰ বেৰ চাৰিকোণীয়া। পাৰবিলাক ইটাৰে বন্ধোৱা, ঘাটবিলাক পকা। বামিজান নৈৰ ওপৰ খণ্ডত চিপুনীয়া গাঁৱৰ ওচৰত আৰু লৌহিত্য উপত্যকাৰ মাজেদি আলিৰ ২৭ মাইল ওচৰত এটা ডাঙ্গৰ দূৰ্গ আৰু ৰাজ্যৰ ধ্বংসাৱশেষ আছে। এই দূৰ্গ আৰু ৰাজ্য ৰুক্মিণীৰ বাপেক ভীষ্মক ৰজাই কৰা বুলি মানুহৰ বিশ্বাস। আন এটা বিখ্যাত ধ্বংসাৱশেষ হৈছে তাম্ৰেশ্বৰী মন্দিৰ। এখন সৰু নৈৰ সোঁহাতে অৱস্থিত।

শান বা আহোমে অসম ৰাজ্য আক্ৰমণ কৰাৰ আগেয়ে পূৰ্ব কামাখ্যালৈ ভাৰতৰ পশ্চিম অঞ্চলৰ মানুহে কোচ বিহাৰৰে পৰা অসমৰ পূব সীমালৈ থকা এটা ওখ আলিৰে অসমলৈ অহা যোৱা কৰিছিল। শদিয়াৰ পৰা চুনপোৱাৰ তাম্ৰেশ্বৰী মাইৰ মন্দিৰলৈকে এটা আলি আছিল। বিৰাজগড় আলি তেজপুৰৰ পৰা উত্তৰ লক্ষীমপুৰৰ মাজেদি আহিছে সেই আলিৰ চিন খণ্ড খণ্ড হৈ এতিয়াও ৯ মাইল পূবত থকা ডিফু নৈলৈকে আছে। তাম্ৰেশ্বৰী মাইৰ পৰা প্ৰায় ২৮ মাইল দূৰত তীৰ্থ যাত্ৰীসকলে দিগাৰুমুখ টেম-মুখেদি যোৱা আলিৰ মূৰৰ পৰা লোহিত পাৰহৈ ৩ মাইল গ'লে পৰশুৰাম কুণ্ড পায়।

এইবিলাকৰ উপৰিও কুণ্ডিলনৈৰ পাৰত বলীয়া বাবাৰ থান। ৭ মাইল উত্তৰে নিজাম ঘাটৰ ফালে বুঢ়াবুঢ়ী থান। তীৰুপানা নৈ আৰু চৰকাৰি পাব্লিক ওয়কৰ্স ডিপাটমেন্টৰ আলিৰ মাজত এটা শিৱলিঙ্গ আছে। চুনপুৰালৈ যোৱা আলিৰ ৯ মাইল আঁতৰত এটা তিনি চুকীয়া পুখুৰীও আছে। এনেকুৱাবিলাক ধ্বংসাৱশেষ, জনশ্ৰুতি আৰু প্ৰভূ ঁ শঙ্কৰদেৱৰ ৰুক্মিণীহৰণৰ নিচিনা সুৱলা শ্ৰুতিমধুৰ পুথি থকা থলত ৰাইজসকল কওকচোন কানটো প্ৰাণেনো আমি অসমীয়াই ভীষ্মকৰ ৰাজ্যখন নি বিন্ধ্যাপৰ্ব্বতৰ দক্ষিণত পাতোঁ; সেইদেখি মই এতিয়াও ধৰি থৈছো যে শদিয়াই ভীষ্মকৰ নগৰ আৰু চুতীয়াসকলে সেই ভীষ্মকৰ বংশধৰ বা দিনৰ ক্ষত্ৰীয় জাতি।

চুতীয়াসকল ক্ষত্ৰীয় হয়নে নহয় এই বিষয়ে প্ৰত্নতাত্ত্বিকসকলৰ ভিতৰত মত ভেদ আছে। কৰ্ণেল ডাল্টনে কয় চুতীয়াসকল এজাতি মিৰিহে। তেওঁৰ এই মত তেনেই ভুল। মাননীয় ডব্লিউ বি ব্ৰাউনে কয় যে চুতীয়াসকল কেতিয়াও মিৰি নহয়। চুতীয়াসকলই শদিয়া ৰাজ্যৰ অতি পুৰণি অধিবাসী। তেওঁৰ মতে যিবিলাক মিৰি, চুতীয়া ৰজাৰ দিনত ভৈয়ামলৈ নামি আহি চুতীয়া ৰাজ্যৰ ভিতৰত বাস কৰিছিল সেইসকল মিৰিকে চুতীয়া মিৰি বোলে। শ্ৰীযুত বি. ছি. এলেন চাহাবে কয় যে চুতীয়া জাতি বড়জাতিৰ ভিতৰতে হোনো, গাৰো, কছাৰী, কোচ, মেছ, ৰাভা এই সমস্ত পৰে। কিন্তু চুতীয়া আৰু কোচ জাতিক বড়জাতিৰ ভিতৰতে থলে কোচ আৰু চুতীয়াৰ ধৰ্ম্মও বড় জাতিৰ দৰে সিজু শিল ইত্যাদিক পূজা কৰা হ'ব লাগিছিল। কিন্তু ক'ত কোচ আৰু চুতীয়া ধৰ্ম দেখোন হিন্দু ধৰ্মই, সিজো শিৱ মনাৱিধৰ নহয়। চুতীয়াসকলে আগৰ কালত মহাদেৱ পাৰ্বতীক



উপাসনা কৰিছিল আৰু আজিকালি দেখোন আমাৰ অসমৰ কোচ কলিতা সকলৰ দৰে বৈষ্ণৱ মহাপুৰুষীয়া, দামোদৰীয়া ইত্যাদি ধৰ্মমনা লোক। কোনো কোনো প্ৰত্নতাত্ত্বিকে কয় যে চুতীয়া পুৰোহিত দেউৰীসকলে যি স্থলত ছাগলী বধ নকৰে, ছাগলীক মানে অথচ মুৰগী আৰু গাহৰি খায় তেনেস্থলত চুতীয়াক Jotimistic অৰ্থাৎ এটা জন্তু উপাসক বা এটা জন্তুক নিজৰ ভাতৃৰ দৰে লোৱা মানুহ। আৰু Jotimistic হোৱা মানুহসকল অনাৰ্য্য পৰ্বতীয়া। কিন্তু এই Jotimৰ বিষয়ে পাওঁ যে আমাৰ অবতাৰি পুৰুষ ঁ শঙ্কৰদেৱৰ বংশসকলে কাছ নামাৰে, কাছ নাখায়। দ্বীজ ৰামানন্দ কৃত ঁ শঙ্কৰদেৱৰ চৰিত্ৰত আছে যে তেওঁবিলাকৰ উপৰি পুৰুষসকলৰ এজনে সেই সময়ত কনৌজত পাঠানৰ উৎপাত হোৱাত তেওঁলোকৰ তামৰ ফলি এখন পুখুৰী এটাত পেলাই অলপ অচৰপ বয়-বস্তু হাতত লৈ হাবিত পলাই আছিল। পিছত পাঠান যোৱাত হাবিৰ পৰা ওলাই আহি নিজ ঘৰত বাস কৰাৰ লগে -লগে পুখুৰীটোত তামৰ ফলিখন জাল পোলোৱাই মানুহ নামি বৰকৈ ডুবিয়াই বিচাৰোতেওঁ ফলিখন নাপালে; কিন্তু মানুহে বিচাৰি হায়ৰাণ হৈ হেৰাল বুলি এৰি দিয়াৰ পিচত বৰ ডাঙ্গৰ কাচ এজনীয়ে সেই তামৰ ফলিখন মুখত কৰি আনি পাৰত দিলেহি। তেতিয়াৰে পৰা ঁ শঙ্কৰদেৱৰ বংশই কাছ নাখায়ো নামাৰেও। ঁশংকৰদেৱৰ সঙ্গসকল দেখোন নিভাজ নিখুঁত কায়স্থ। কাছক নমৰা বাবে তেওঁবিলাকো Jotimistic হ'ল নে?

এনেকুৱাবিলাক মতামতৰ পৰা দেখা যায় যে কৰ্ণেল হ'লে ঁ ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা, ব্ৰাউন চাহাব এই সকলে চুতীয়াসকলক শদিয়াৰ আদিম অধিবাসী বোলোতে আমি তেওঁবিলাকক ভীষ্মকৰ সময়ৰ ক্ষেত্ৰীয় সকলৰ সতি সন্ততি বুলি ধৰি লৈছো। আমাৰ মতে বুৰঞ্জী হিচাপেও চুতীয়াসকল ক্ষত্ৰীয়হে।

কিন্তু এইখিনিতে আকৌ কোনো কোনো প্ৰত্নতাত্ত্বিকে কব পাৰে যে চুতীয়াসকল ভীষ্মকৰ বংশৰ হ'লেও অনাৰ্য্য,আৰ্য্য ক্ষেত্ৰীয় জাতৰ মানুহ নহয় যিহেতু ভীষ্মক, ভগদত্ত, নৰক, ৰামায়ণৰ বালি, সুগ্ৰীৱ এইসকল হিন্দু ধৰ্ম্মলোৱা অনাৰ্য্য বংশৰহে ৰজা আছিল। আমি কিন্তু সঠিককৈ কব নোৱাৰো। এই ৰজাসকল আৰ্য্য নে অনাৰ্য্য আছিল। মহাভাৰতৰ ৰামায়ণৰ প্ৰায় সমস্ত পৰাক্ৰমী ৰজায়ে কেও ঘোৰ শৈৱ কেও ঘোণ শাক্ত আছিল। ৰামায়ণ আৰু মহভাৰতে এফালে শুদ্ধ সত্ব বৈষ্ণৱ ধৰ্মৰ আনফালে তান্ত্ৰিক শাক্ত আৰু শৈৱ ধৰ্মৰ ভয়ঙ্কৰ সংঘৰ্ষণ দেখুৱায়। ৰামো বিষ্ণুৰ অৱতাৰ কৃষ্ণও বিষ্ণু অৱতাৰ; ৰামেও দেৱী পূজক ৰাৱণৰ প্ৰতিদ্বন্দি হৈ ৰাৱণক বধিলে; শ্ৰীকৃষ্ণইও প্ৰথমে জৰাসন্ধ শিশুপাল প্ৰভৃতি শাক্ত ৰজাসকলক মাৰিলেও আৰু মৰালেও আৰু শেহত ভাৰতৰ যুজত পঞ্চপাণ্ডৱৰ হতুৱাই শৈৱ ৰজা দুৰ্যোধন আৰু শাক্ত শৈৱ অখংখ্য কৌৰৱ ফলিয়া ৰজাসকলক মৰাই ভাৰতত বৈষ্ণৱ ধৰ্ম থাপিলে। জৰাসন্ধ, শিশুপাল, এইসকল ৰজা জাতত ক্ষত্ৰীয়ই আছিল নে আনাৰ্য্য আছিল তাক কানে জানে। ৰাৱণৰ মাক নিশাচাৰী

বা দাসী হলেও ৰাৰণ বামুণৰহে লৰা আছিল। যদি জৰাসন্ধ; শিশুপাল আদি ক্ষেত্ৰিয় ৰজা হয় তেন্তে ভগদত্ত, বাণ ভীষ্মকো ক্ষত্ৰিয়ই আছিল অথবা হিন্দুৰ লগত পৰি ক্ষত্ৰীয় হিন্দুয়ে সৈতে বিবাহাদি আদান-প্ৰদান কৰি হিন্দুয়ে হৈছিল। চুতীয়াৰ দেউৰীসকলে মদ, গাহৰি খোৱাৰ বাবেই তেওঁলোকক অনাৰ্য্য বুলিব নোৱাৰি।

আগৰ কালত ক্ষত্ৰীয় সকলে মদ গাহৰি খাই চলিয়েই পিছতহে মদ গাহৰি এৰিছে। চুতীয়াসকল দৰাচলতে অনাৰ্য্য হোৱা হ'লে দেউৰীসকলে গছ পাথৰ অথবা দেও ভূত ইত্যাদি পূঁজিলেহেঁতেন। গোৱামি গেৰা অৰ্থাৎ মহাদেৱ, পাৰ্ব্বতী, বলীয়া বাব-মহাদেউ এইসকলক নুপূজিলেহেঁতেন। দীবঙ্গীয়া খেলৰ মহাদেৱ পাৰ্বতীৰ মন্দিৰ এতিয়াও কুণ্ডিল নৈৰ পাৰত বৰ্ত্তমান। যি চুতীয়া জাতীয়ে এসময়ত দূৰ্গ গড় আদি কৰিছিল; তাম্ৰেশ্বৰীৰ মন্দিৰ আৰু দেৱালয় সাজিছিল, পুখুৰী খনাই উচৰ্গা কৰিছিল, যি জাতৰ ভিতৰত লেখা-পঢ়াৰ চৰ্চ্চা আছিল, যিসকলৰ পূজা পদ্ধতি বিবাহ শ্ৰাদ্ধ সমস্ত হিন্দুৰ নিয়মে চলি আহিছে যি সকল আগৰ কালত শিৱ দূৰ্গাক পূজিছিল আৰু এতিয়াও বৈষ্ণৱ ধৰ্মত প্ৰৱৰ্ত্তিছে, যি জাতিয়ে পালবংশক আৰু কমতাপুৰৰ ৰজাক যুঁজত ঘটুৱাব পাৰিছিল; যি জাতিয়ে জলেস্থলে ৩০০ তিনিশ বছৰ আহোমে সৈতে যুজঁ কৰি আছিল, যি জাতিৰ ৰজাই পালবংশ আৰু কমতাপুৰৰ ৰজাই সৈতে বিবাহ সূত্ৰত আৱদ্ধ আছিল সেই জাতি পৰ্বতীয়া আবৰ ডফলাৰ নিচিনা মানুহ নহয় কেতিয়াও নহয়। সেই জাতিটো আগৰ ভীষ্মকৰ বংশৰ ক্ষত্ৰিয় জাতিহে। যদি তথাপি কোনোবাই আপত্তি কৰে তেনেহ'লেও এইটো ধ্ৰুৱ সত্য যে চুতীয়া জাতিটো এসমৰ ৰাজবংশৰ জাতি। গুণ আৰু কৰ্ম্মৰ দ্বাৰাই যদি আদিতে হিন্দুৰ জাতিবিলাকৰ নিৰাকণৰ হৈছিল; তেনেহ'লেও চুতীয়াৰ আগৰ গুণ আৰু কৰ্ম্মলৈ চাইও তেওঁবিলাক ক্ষত্ৰীয়হে।

**চুতীয়াসকলৰ বৰ্ত্তমান অৱস্থা ঃ**

এই বিষয়ে আমি একো কব নালাগে। আমাৰ বন্ধু শ্ৰীমান ভ্ৰমৰ শইকীয়াদেৱে তেওঁৰ "চুতীয়া জাতি" বোলা পুথিখনত যি লিখিছে তাৰে পৰা তুলি দিলোঁ। চুতীয়া বিলাক অসমৰ ৰাজবংশী মানুহ। আগেয়ে এটা স্বাধীন জাতি আছিল। এতিয়া আৰু সেই দিন নাই। ৰাজ্য হেৰুৱাৰ লগে লগে সাহ-পিত আৰু মনৰ বলো তল পৰিবলৈ ধৰিছে। নানা হেঁচা আৰু বিপদে চুতীয়া জাতিক লঙ্গুঠা কৰিলে। ইমান ঠেৰুছিগাহৈ পৰিল যে আজি কালিৰ নিচিনা দিনতো নিজক নিজে চিনিব পৰা নাই; কিম্বা চিনাকি দিবলৈ সাহ জন্মা নাই। চুতীয়া জাতিৰ বৰ্ত্তমান অৱস্থা কবলৈ বেজাৰ লগা। যি চুতীয়া জাতিয়ে ৪০০ (চাৰিশ) বছৰৰ পূৰ্বে উজনী অসমত প্ৰৱল প্ৰতাপেৰে ৰাজত্ব কৰিছিল সেই জাতিৰ সতি-সন্ততি বিলাকে এতিয়া অৱনতিৰ তলত পৰি নিতাল মাৰি আছে। তেওঁলোক নিঃকিন নিচলা আৰু প্ৰায় অকামিলা হৈ জুলুকা লাগি পেঁপুৰা খাই আছে।



............................ সময়ে অনেক পৰিৱৰ্ত্তন কৰে। ৰজাক ভিকহ কৰে খৰিভাৰিও সম্ভ্ৰান্ত লোক হৈ উঠে। কতনো সাল-সলনি হয় তাৰ সীমাসংখ্যা নাই। আহোম, চুতীয়া, কোচ, কছাৰীৰ ৰাজত্ব আজি কালৰ গৰ্ভত। তেওঁলোকৰ প্ৰসিদ্ধ প্ৰসিদ্ধ নগৰবিলাক এতিয়া অৰণ্যৰ মাজত। প্ৰজাৰ অৱস্থা, জাতিৰ কথা, এতিয়াৰে বহুত প্ৰভেদ। মান, সম্ভ্ৰম, আচাৰ নীতি আদি ৰিজালেও নিমিলে। এই জাতিৰ অধঃপতনৰ সময়ত যি দুৰ্দশা তাক বৰ্ণনা কৰা টান। কতই আকৌ যুগমীয়া দাসত্বৰ বান্ধতহে জীৱনক ধন্যবাদ ভাৰ দিছে। আসামৰ পুৰণি ৰাজবংশী চুতীয়া, কছাৰী, আহোম আদিৰো দশা সেয়ে হৈছে। আজি সকলো জাতি মাপ্ৰতাপী বৃটিছ ৰজাৰ সমান প্ৰজা।

**বৰ্ত্তমান সময়ত চুতীয়াসকলে কি কৰা উচিত ঃ**

পূৰ্ব্ব গৌৰৱলৈ চাই বৰ্ত্তমানে চুতীয়াসকলে কি কৰা উচিত এই বিষয়ে পৰস্পৰে সহযুক্তি কৰি এটা সিদ্ধান্ত কৰিবৰ নিমিত্তেই এই সভা আহুত হৈছে। আজিকালিৰ দিনত শিক্ষাই হৈছে সকলো উন্নতিৰ মূল। চুতীয়াসকলে আন আন অসমীয়াৰ দৰেই উন্নতি লভিবলৈ খোজে যদি তেন্তে নিজৰ ভিতৰত শিক্ষা বঢ়াবলৈ আগবাঢ়ক। আমি ক্ষত্ৰীয় সেইবাবে হালকোৰ নাবাম। এনেকুৱা এটা মতত ধৰিলে আৰু হুজুগত পৰি লগুন লবলৈ বিচাৰিলে আমাৰ চুতীয়া ভাতৃসকলৰ এটা লোকচানত বাজ লাভ হলে নহ'ব। চুতীয়াসকলৰ বৰ্ত্তমানে প্ৰধান উদ্দেশ্য হ'ব লাগে নিজৰ ভিতৰত সকলোবিধৰ শিক্ষা লাভ কৰা। ভাল শিক্ষা হ'লেও কাৰবাৰ কৃষি-বাণিজ্য চাকৰি সকলোৰেই উন্নতি লাভ কৰিব পৰা হ'ব। ভাং, কানি, মদ, চিগাৰেট ইত্যাদি ৰাগীয়াল বস্তুবিলাকৰ পৰা চুতীয়া যুৱকসকলে আঁতৰি থাকি বিদ্যাবুদ্ধি চৰ্চ্চা কৰাত লাগি থাকিলে, বাণিজ্য ব্যৱসায় এইবিলাকত চেষ্টা কৰিলে জাতৰ ভিতৰত পৰস্পৰ সহায় আৰু সহানুভূতি থাকিলে ইফেদে সিফেদৰ দোষহীন দেঢ়ি বিচাৰি সময় নকটাই মিলা-প্ৰীতিৰে চলিলে, মনৰ পৰা ঠেক বা সঙ্কীৰ্ণ ভাৱবিলাক দূৰ কৰিবলৈ শিকিলে, ধৰ্ম্মত মন ৰাখি কৰ্ত্তব্য কৰ্ম্মত লাগি থাকিলে অৰ্থাৎ লক্ষ্মীয়ে আপোনা-আপুনি লগ দিব। দূৰ্গা পূজাৰ আধ্যাত্মিক ভাবলৈ চালে আমি পাওঁ কি! দূৰ্গাদেৱীৰ বৰণ হালধীয়া। আমাৰ পথাৰত ধানবিলাক পকিলে তাৰো বৰণ হালধীয়া হয়। যি মানুহে সৰস্বতীক আৰাধনা বিদ্যা-শিকি ভালকৈ কৃষি (অথবা সকলো বিষয়ৰ কৰ্ষণ) কৰিব পাৰে, তেওঁক শষ্যৰূপী লক্ষ্মীয়ে লাগ দিয়ে খাই বৈ বলবান হ'ব পাৰিলে এফালে কাৰ্ত্তিকৰ দৰে আৰু বীৰ হ'ব পৰা যায়, আৰু আনফালে কৰ্ম্ম কৰাৰ বলেৰে যি জ্ঞান লাভ হয় সেই জ্ঞানেৰে গহীন গম্ভীৰ প্ৰশান্ত হৈ সিদ্ধি লাভ কৰি মা ভগৱতীক বা ঈশ্বৰক অন্তত লাভ কৰি মনুষ্য জনমৰ সাৰ্থক কৰিব পৰা যায়।

মোৰ বোধেৰে ভাতৃসকল! দূৰ্গা প্ৰতীমাৰ আধ্যাত্মিক অৰ্থ এনেকুৱাটোহে।

দূৰ্গাক লভি বীৰ হবলৈ গ'লেই প্ৰথমতে কৰ্ষণ কৰিব অৰ্থাৎ শিক্ষা লভিব লাগিব। শিক্ষা লভিবলৈ হ'লেই মদ, কানি, ভাঙ্গ, চিগাৰেট এইকেইটা বস্তু আগেয়ে আঁতৰাব লাগিব। যদিও অৱস্থা বিশেষে কোনো ৰোগ বিশেষে মদ, কানি, ভাঙ্গ আৱশ্যকীয়ও তথাপি এই তিনিটা বস্তু বিহহে। হায় মোৰ ওপৰ অসম দেশক কানিয়ে আৰু ভাটী অসমখনক ভাঙ্গেই সৰ্বনাশ কৰিলে। দুইৰো মাজতে মদ বা লাওপানীয়েও কম অন্যায় নকৰে। এতেকে হে মোৰ চুতীয়া ভাতৃসকল! এইতিনিটি নিচা যদি আপোনালোকৰ ভিতৰত আছে তেন্তে তাক ততালিকে দূৰ কৰিবলৈ প্ৰথমতে চেষ্টা কৰক। নিচা বস্তু এটা এৰো বুলিলে মনৰ মন লগালে এৰিবলৈ একো টান কথা নহয়। অৱশ্যে মই নিজৰ শ্লাঘাৰ অৰ্থে কোৱা; কিন্তু আহিবৰপৰা যদি কাৰবাৰ কিবা উপকাৰ হয় তেন্তে কওঁ শুনক। মই স্কুল-কলেজত থাকিবৰে পৰা ধপাতটো খাইছিলো। মনত পৰিবৰে পৰা আজি এবছৰ আগলৈকে মই ধপাত, চুৰট, চিগাৰেট বৰকৈ খাইছিলো; কিন্তু আজি বছৰেক হ'ল অৰ্থাৎ গ'ল বছৰ এনেকুৱা দিনতেই মনত কিবা এটা গ্লানি উপস্থিত হোৱাতে ধপাত, বিৰি, চিগাৰেট একোকে নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিলোঁ আৰু ভগৱন্ত পুৰুষৰ কৃপাত মোৰ ধপাত খোৱা অভ্যাসটো গ'ল। কিন্তু তাৰ ফলস্বৰূপে মোৰ ঘৰৰ পৰা দুটা ল'ৰাৰ মুখৰ পৰাও ধোৱাখোৱা বস্তুটো আঁতৰ হ'ল মাহে প্ৰায় ২০ কুৰি টকা ৰূপ যে আয় হ'লেও তাৰ উপৰিও আমাৰ স্বাস্থ্যত ভাল যেন পাইছো। এতেকে ৰাইজসকল! চেষ্টাই কৰিব নোৱাৰা কাম নাই। আপোনালোকে চেষ্টা কৰি এই তিনিটি বিহ আপোনালোকৰ সমাজৰ পৰা আঁতৰাওঁক। অতি দুখ লাগে যে আমাৰ দেশখনত কানি, ভাং, মদে যি অনিষ্ট কৰিছে সেয়া অসহনীয়; কিন্তু দৈত্যৰ ওপৰত দানৱৰ দৰে চিগাৰেট বোলা বস্তুটোও আমাৰ দেশত বৰ বেয়াকৈ সোমাইছে। এই বস্তুটো গাঁৱে গাঁৱে সোমাই সকলোৰে আনকি সৰু সৰু ল'ৰা-ছোৱালী মুখে মুখেও হৈছে। তাহানিখন মই চেটেলমেন্ট কৰি থাকোতে এই গোলাঘাটৰ ঢেকিয়াল কি মিচামৰা গাঁৱৰ এঠাইত এটা চাপৰি ওপৰত এজনী সুন্দৰী দহ বছৰীয়া ছোৱালীক ছিগাৰেট হুপি থকা লগ পাই কৈছিলোঁ। আইটি তোমোলোকৰ নিচিনা সৰু সৰু ল'ৰাছোৱালীয়েও চিগাৰেট খোৱা হ'লানে? ছোৱালীজনীয়ে একো লাজ নকৰি উত্তৰ দিছিল হয় হজুৰ আমি খাঁও আমাতকৈ সৰু সৰু বিলাকেও খায়। মই ছোৱালীজনীৰ কথা শুনি বিমোৰ হৈ কৈছিলোঁ, আইটি এই বস্তুটো বৰ বেয়া ইয়াত খৰছকৰা পইচা কেইটাৰে এফেৰা গাখীৰ বা কল কুঁহিয়াকে দেখোন কিনি খোৱা ভাল। মোৰ কথা ধানতহে ছোৱালীজনীয়ে লাজ পাই মুখৰ পৰা চিগাৰেটটো পেলাই লৰি গুচি গৈছিল। সিদিনাখন আজি ১০ দিনমান হ'ল মাকুমৰ জংচনৰ ৰেলষ্টেচনত ৰেডলেম্প চিগাৰেট এটা হুপি এজনী তিনি বছৰীয়া ছোৱালীক দেখি তাইৰ ওচৰত থকা মাক-বাপেকক ক'লো - "তহঁতে কেলেই এই পিয়াহ খোৱা কেচুৱাজনীক চিগাৰেট খাবলৈ দিছ। সিহঁতে ক'লে, নিদিলে তাই কান্দে সেই দেখি দিওঁ। হাঁয় হাঁয় ল'ৰা-



ছোৱালীয়ে কান্দিলে মাক-বাপেকে চিগাৰেট কিনি খুৱাব লগা দিন হ'ল। ধন্য দুঃখ দৰিদ্ৰ পিড়ীত ভাৰতবৰ্ষৰ অৱস্থা ধন্য অসমৰ অৱস্থা। মই মিনতিয়ে আপোনাসকলক আনকি সকলো অসমীয়াকে নিবেদন কৰিছো এই চিগাৰেট খোৱা প্ৰথাটো যেন গুচে। চিগাৰেটে অতি কষ্টেৰে অৰ্জ্জা বহুত পইচা নিয়ে আৰু তাৰ বদলে যক্ষ্মা মেহৰোগ, ফুছফুছ প্ৰকাৰ ইত্যাদি বেমাৰ এতিয়া যদি দিয়াও নাই শেহত দিবগৈ। এই বিহ ৰাইজসকল যত্নকৰি সময় থাকোতেই বৈৰ উপায়ৰে আঁতৰাবলৈ যত্ন কৰক। প্ৰকৃত ক্ষত্ৰীয়ৰ দৰে সংসাৰ যুঁজত যুঁজ কৰিব পৰা হ'লেও ক্ষত্ৰিয়ৰ কাম কৰা হ'ব। বদ্ নিচাৰ পৰা বদ্ কথাৰ পৰা আঁতৰি থাকিব পৰাটো আৰু তাৰ লগে লগে কৰ্ত্তব্য কাম কৰিব পৰাটোহে আচল ক্ষত্ৰিয়ৰ কাম কৰা হয়। আমাৰ বন্ধু শ্ৰীমান জ্ঞাননাথ বৰা বি.এল. দেৱে বঢ়িয়াকৈ দেখুৱাইছে যে অসমীয়া মানুহ মানৰ আক্ৰমণৰ আগেয়ে ৩৯ উনচল্লিশ লাখ আছিল। মান মোৱামৰীয়া অত্যাচাৰত অনেক মানুহ মাৰি হাজি দেশ এৰি বিদেশলৈ গৈ ইংৰাজ ৰাজত্বৰ আৰম্ভণত মুঠেই ৮ লাখত পৰিছিলগৈ। এতিয়া কোনো ৰকমে আজি এশ বছৰে ১৯ লাখ হৈছিল; কিন্তু এতিয়া অসম দিনক দিনে বিদেশী যথা কুলি, হিন্দুস্থানী, বঙ্গালী, ময়মন-সিঙীয়া, মুছলমান সকলো মিলি ২৩ লাখ হৈছে। এতিয়া আমাৰ এই অসমীয়া জাতিটো বিদেশৰ হেঁচাৰ মাজত। আমি অসমীয়াই এই হেঁাচৰ মাজত তিষ্ঠি থাকিবলৈ হ'লে আমাৰ প্ৰত্যেকেই আন জাতৰ লগত দ্বেষ নকৰাকৈ, হাই-কাজিয়া নকৰাকৈ শান্তিৰে পৰস্পৰে পৰস্পৰৰ সহায় লৈ নিজ নিজ উন্নতিত আগবাঢ়িব লাগিব, তেহে আমি এই জীৱন যুজত তিষ্ঠিম; নহলে আমাৰ নাম নুমাব। বিদেশীৰ হেঁচাত আমাৰ অস্তিত্ব হেৰাব। এতেকে মোৰ চুতীয়া ভাতৃসকল! আপোনালোকে আপোনাসকলৰ ল'ৰা ছোৱালীবিলাকক সকলো বিষয়তে শিক্ষিত কৰি তোলক। নিজে নিজে ত্যাগ স্বীকাৰ কৰিও সিহঁতক শিক্ষা দিয়ক। এলাহ নিহালি এৰি আপোনালোকে কৰ্ম্মত লাগি যাওঁক। যিসকলে মদ, ভাং, কানি ইত্যাদি কোনো নিচাত ৰাপ আছে সেইসকলে এইসকলক দৃঢ়প্ৰতিজ্ঞ হৈ এৰি ডেকাসকলক সজ আৰ্হি দেখুৱাওক। ডেকাসকলে বুঢ়া-বেথাৰ সহায় সহানুভূতি আৰু আশীৰ্বাদ গ্ৰহণ কৰি এতিয়াৰ পৰা শিক্ষাত, কৰ্ম্মক্ষেত্ৰত, কৃষিত, ব্যৱসায় বাণিজ্যত, শিল্প আদি কৰ্ম্মত যেনে - বাঢ়ৈ, কুমাৰ ইত্যাদিত, নিকা পৰিস্কাৰ থাকি স্বাস্থ্য সম্বন্ধীয় নিয়মবিলাক পালন কৰি, সুস্বাস্থ্য লাভ কৰি সমবেত চেষ্টাৰে মোটাভাতে, মোটা কাপোৰেই ভাল পানী এটুপীৰ সৈতে কৰ্ম্মত লগাক। এইদৰে আমাৰ চুতীয়া গাভৰুসকলেও পূৰ্বপৰ ৰীতি অনুসৰি ৰন্ধা-বঢ়াৰ উপৰিও বোৱাকটা আগতকৈ বেচিকৈ কৰিবলৈ ধৰক। লাহ-বিলাহ আঁতৰাই সকলোৱে ঈশ্বৰত ভক্তি ৰাখি কৰ্ম্মত মতিৰাখি নীতিৰ পথত চলি, একতাক মূলমন্ত্ৰ স্বৰূপে ধৰি সকলোৱে কৰ্ম্ম কৰক। সিদিনাখন অলপতে ৰেলত বহি এজন মান্য-গণ্য মৌজাদাৰে সৈতে কথা এটাৰ আলোচনা হৈছিল। মৌজাদাৰে ক'লে ডাঙ্গৰীয়া এটা কথা মন কৰিছেনে। এতিয়ালৈকে

পাহাৰৰ পাদদেশৰ সমতলভূমিত এটা ইটা ভাটা আৱিস্কাৰ হৈছে। ইটা ভাটাটো থকা ঠাইখনলৈ চাই অনুমান কৰিব পাৰি যে, অতি কৌশলেৰে বহু শ্ৰম আৰু সম্পদ ব্যয় কৰিহে এই দুৰ্গ নিৰ্মাণ কৰা হৈছিল। এই দুৰ্গ ১৩৫০ ৰপৰা ১৪৫০ খ্ৰীঃৰ ভিতৰত নিৰ্মাণ কৰা হৈছিল।[১৩৫]

সদিয়াৰ পৰা তেজুলৈ যোৱাৰ পথত তেজু পোৱাৰ প্ৰায় দহ কিঃমিঃ আগতে এটা মাটিৰ দুৰ্গৰ অৱশিষ্ট পোৱা যায়। এই দুৰ্গৰ দেৱাল ২.৪৪ মিটাৰ ওখ। দুৰ্গৰ ভিতৰে-বাহিৰে ৬ মিটাৰ বহল খাৱৈ খন্দা আছে। জনশ্ৰুতিমতে, এই দুৰ্গ শিশুপালে নিৰ্মাণ কৰিছিল। এই শিশুপাললৈকে ভীষ্মক নন্দিনী ৰুক্মিণীক ককায়েক ৰুক্মবীৰে বিয়া দিবলৈ মনস্থ কৰিছিল।[১৩৬] গতিকে চুতীয়াসকলৰ লগত এই দুৰ্গৰ ঐতিহ্য নিহিত হৈ আছে।[১৩৭]

নামনি দিবং উপত্যকাৰ সমতলভূমিত কেইবাটাও পুৰণি পুখুৰী দেখা যায়। ইয়াৰে কিছুমান বৰ্গ আকাৰৰ, কিছুমান আয়ত আকাৰৰ আৰু কিছুমান তিনিকোণীয়া। কোনো কোনো পুখুৰীত ইটাও ব্যৱহাৰ কৰা হৈছিল। ৰ'য়িং অঞ্চলতে এনেকুৱা অন্ততঃ দহটা পুখুৰী আছে। এইবিলাকৰ ভিতৰত জেং, কন্যিনট (আদি ভাষাত 'নট' মানে পুখুৰী), কাম্পুনট, ইয়ম নট, ৰুক্মিণী পুখুৰী, আহোম পুখুৰী আৰু জীয়াৰ ওচৰত অৱস্থিত পদুম পুখুৰী প্ৰধান। ৰুক্মিণী পুখুৰী আয়ত আকাৰৰ আৰু পদুম পুখুৰী ত্ৰিভূজ আকাৰৰ। দুয়োটা পুখুৰীৰ নিৰ্মাণকাৰ্যত ইটা ব্যৱহাৰ কৰা হৈছিল।[১৩৮]

দিবং উপত্যকাৰ সমতলভূমি অঞ্চলতে কেইবাটাও পুৰণি আলিৰ ভগ্নাৱশেষ দেখা যায়। এইবিলাকৰ ভিতৰত 'ৰাজগড় আলি'য়ে বুলুঙৰ মাজেদি সদিয়াৰ লগত ভীষ্মক নগৰক সংলগ্ন কৰিছিল আৰু আন এটা আলি ফাটি গৈ ৰুক্মিণীনগৰত লাগিছিল।[১৩৯] চুতীয়া ৰজাৰ বংশাৱলীমতে, কমতেশ্বৰৰ কন্যাক ৰত্নধ্বজপালৰ পুত্ৰলৈ বিবাহ কৰিবৰ সময়ত তেওঁ ৰাজধানীৰপৰা কমতা ৰাজ্যলৈকে এটা আলি বান্ধিছিল।[১৪০] ইতিমধ্যে এই গ্ৰন্থৰ প্ৰথম অধ্যায়ত প্ৰথম শিতান 'ভৌগোলিক-ঐতিহাসিক পটভূমি'ত এই কথা কোৱা হৈছে যে অতি পুৰণি কালতে ভাৰতবৰ্ষৰ সিন্ধু উপত্যকাৰপৰা হিমালয়ৰ পাদভূমিয়েদি এটা প্ৰশস্ত পথ সদিয়াৰ মাজেদি গৈ চীনৰ ৰিমা পাইছিলগৈ। এই সম্পৰ্কত পাদটীকাত উল্লেখ কৰা হৈছে যে চুতীয়া ৰজা ৰত্নধ্বজপালে কমতেশ্বৰৰ কন্যাক তেওঁৰ পুত্ৰলৈ

---

[১৩৫] *ibid.*, pp.26ff.; Y.A. Raikar, **Ita Fort**, Government of Arunachal Pradesh, Shillong, 1976.

[১৩৬] **Gazetteer of India, Arunachal Pradesh, Lohit District**, p.40.

[১৩৭] বিস্তৃত বিৱৰণৰ বাবে চাওক - Y.A. Raikar-ৰ 'A Mud Fort near Tezu' আৰু 'The Mud Fort near Tezu could be Sisupalgarh' নামৰ **Arunachal News**-ত প্ৰকাশিত দুটা প্ৰবন্ধ (Shillong, October 1972, vol.i.,no.8,pp.10-14 আৰু March 1973,vol.ii,no.i,pp.7-9)।

[১৩৮] Raikar & Chatterjee, *op.cit.*,p.20.

[১৩৯] *ibid.*

[১৪০] **দেওধাই অসম বুৰঞ্জী**, সম্পাদিত সূৰ্য্য কুমাৰ ভূঞা, গুৱাহাটী, ১৯৬২,পৃঃ১৯৫।



বিবাহ কৰিবৰ সময়ত এই পথটোকে পুনৰ নিৰ্মাণ কৰিছিল।

চুতীয়াসকল আদিতে শক্তিৰ উপাসক আছিল। তেওঁলোকে দেৱীক নৰবলিৰে পূজা কৰিছিল। দেৱীৰ উপাসনাৰ অৰ্থে তেওঁলোকে দেউল-পানী নামৰ জুৰিটোৰ সোঁফালে শিলেৰে এটা মন্দিৰ নিৰ্মাণ কৰিছিল। ইয়াৰ চালখন তামৰ আছিল বাবে এই মন্দিৰটোক তাম্ৰেশ্বৰী মন্দিৰ বোলা হৈছিল। বুকানন চাহাবে এই মন্দিৰটোক 'পূৰ্ব কামাখ্যা' বুলি নামকৰণ কৰিছে[১৪১] এই মন্দিৰ দৰ্শনৰ হকে পশ্চিম ভাৰতৰপৰাও ভক্তৰ সমাগম হৈছিল। মেজৰ হানেয়ে সেই সময়ত কোচবিহাৰৰপৰা সদিয়া আৰু চুণপোৰাৰ মাজেৰে মন্দিৰটোলৈ এটা সুচল পথ আছিল বুলি বিশ্বাস কৰিছিল।[১৪২] ব্ৰাউন চাহাবৰ **দেউৰী চুতীয়া গ্ৰামাৰ**ৰ পৰিশিষ্টত সন্নিবিষ্ট ই. টি. ডেল্টনৰ 'উজনি অসমৰ চুতীয়াসকলৰ বিষয়ে এটি টোকা' (Notes on the Chutiyas of Upper Assam)ত কেপ্তেইন ভেট্চে (Captain Vetch) ১৮৪৬ খ্ৰীঃত তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰি যি বিৱৰণ দিছিল তাৰ এটা আভাস দিয়া হৈছে। এই বিৱৰণমতে মন্দিৰটো প্ৰায় বৰ্গ আকাৰৰ এটা সৰু শিলৰ ঘৰ। ইয়াত কোনো কণ্ঢালৰ ব্যৱহাৰ নাই। শিলবিলাক লোহাৰ গজালেৰে সৈতে জোৰা লগোৱা হৈছিল। শলখাৰ ব্যৱহাৰ ইয়াত নাই। চালখন তামৰ কিন্তু ই এতিয়া মাটিত পৰি আছে। মন্দিৰটোৰ আয়তন আঠ বৰ্গফুট। মন্দিৰটোৰ চাৰিওফালে ১৩০X২০০ ফুট ইটাৰ দেৱালেৰে বেৰি থোৱা আছে। পশ্চিমৰ দেৱালখনৰ প্ৰকাণ্ড প্ৰৱেশদ্বাৰৰ ওচৰত এটা সৰু শিলৰ ত্ৰিপদ পৰি আছে।[১৪৩] কেপ্তেইন ভেট্চৰ লগতে মেজৰ হানেয়েও তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰিছিল। তেওঁৰ বিৱৰণৰপৰা জনা যায় যে সমুখ ফালৰ বাহিৰে ইটাৰ দেৱালখন ৪১/২ ফুট ডাঠ। দুৱাৰখন তিনিটা বিশাল শিলেৰে বন্ধোৱা আৰু তাৰ দুয়োফালে দুটাকৈ দ্বাৰীগৃহ (গোপনীয় স্থান/recess) আছে। দুৱাৰখনৰ চৌকাঠ প্ৰায় বৰ্গক্ষেত্ৰাকাৰ। চৌকাঠ আৰু দুৱাৰৰ কাষ দুটাৰ বাহিৰে ভিতৰ আৰু বাহিৰৰ বেৰাত তেনেকৈ কোনো কাৰুকাৰ্য্য নাই।[১৪৪]

১৯০৫ চনত পুৰাতত্ব বিভাগৰ পূব চাৰ্কোলৰ অধীক্ষক টি. ব্লকে তাম্ৰেশ্বৰী মন্দিৰৰ ঠাইটুকুৰা পৰিদৰ্শন কৰি এই বুলি মন্তব্য দিছিল - 'তামৰ মন্দিৰটো এডোখৰ আয়তক্ষেত্ৰাকাৰ ঠাইৰ দক্ষিণ-পশ্চিম অংশত অৱস্থিত। ইয়াৰ চাৰিওফালে ২১৮X১৩৯ ফুট দৈৰ্ঘৰ ইটাৰ দেৱাল আছে। মন্দিৰটোৰে আৰৱা ঠাইটুকুৰা দহ বৰ্গফুটৰ অলপহে বেছি হ'ব। ঠাইটুকুৰাত মন্দিৰটো মূল অট্টালিকা নহয়। ইয়াত নিশ্চয় ৰাজকাৰেং বা দুৰ্গ আছিল। কিন্তু সেইবিলাকৰ এতিয়া কোনো চিন-মোকাম নাই। আদিতে মন্দিৰটোৰ তামৰ চালি

---

[১৪১] Cited in S.F. Hannay, 'Notes on Ancient Temples etc.', *loc.cit.*,p.462.

[১৪২] *ibid.*

[১৪৩] p.76.

[১৪৪] S.F. Hannay, 'Notes on Ancient Temples etc.', *loc.cit.*, p. 462.

ভগৱন্ত পুৰুষৰ কৃপাত কোনো অসমীয়া মানুহে ৰেলত বাগানত বা কয়লাৰ খনিত কাম কৰা নাই। মই ক'লো কিয় কব পাৰেনে মৌজাদাৰ ডাঙ্গৰীয়াই ক'লে আমাৰ ৰায়তৰ এতিয়াও অভাৱ হোৱা হোৱা নাই। মই ক'লো হয় সেইটো সঁচা। ঈশ্বৰে কৃপা কৰিছে এই কাৰণে যে এতিয়ালৈকে আমাৰ স্ত্ৰী-জাতিটোৱে মাতৃজাতিটোৱে বোৱা-কটা এৰা নাই সেই কাৰণেহে এতিয়া অসমীয়া মানুহ এইবিলাক কামলৈ ওলোৱা নাই; কিন্তু কেনেবাকৈ যদি আমাৰ গাঁৱলীয়া মাতৃসকলে বব কাটিবলৈ এৰে কাপোৰখনো যদি কিনিহে পিন্ধিব লগা হয় তেন্তে অসমীয়া মানুহো পেটৰ অৰ্থে কাপোৰৰ অৰ্থে এইবিলাক কামলৈ আহিব লাগিব। সেইদেখি আমাৰ মাতৃসকল থাকোঁতেই সাৱধান হওঁক। আগতকৈ বোৱা-কটা বেচিকৈ কৰক। সূতা কিনিও কাপোৰ বওক বুঢ়া-বেথা সকলোৱে সূতা কাটিবলৈকো ধৰক। যদি মোৰ চুতীয়া ভাই-ভনী সকলোটিয়েই এই বৃদ্ধই কোৱাৰ দৰে ঈশ্বৰত মতি ৰাখি, বদ্ নিচা এৰি নীতিৰ পথত চলি, একতাক মূল মন্ত্ৰৰূপে ধৰি সকলো ফৈদে পৰস্পৰৰ দোষ-গুণ উচ্ছতা নীৰ্চ্ছতা ডাঙ্গৰ সৰু নিচাকৈ বাছ-বিচাৰ নকৰি মিলাপ্ৰীতিৰে কৰ্ম্মত লাগি গ'লে দেখিব অচিবাৎ সেই আগৰ বীৰৰ তেজ চুতীয়াসকলৰ গালৈ আহিব। আৰু নিজকে চিনি নোপোৱা জুৰুলা অৱস্থাত পৰি থকা চুতীয়াসকলৰ গালৈ নতুন তেজ আহিব। মনলৈ নতুন বল আহিব। তেতিয়া আমাৰ ৰজাঘৰেও বৰ্ত্তমানে নিমাখিত আৰু আগৰ ৰাজবংশী চুতীয়াসকলক, ৰাজকৰ্ম্মৰ উচিত ভাগ দিবলৈ কুণ্ঠিত নহ'ব আৰু গুৰুঘৰ সকলেও চুতীয়াসকলক এতিয়ালৈকে আৰু আদৰ কৰিব চুতীয়া জাতিটো উন্নত হ'ব। তাৰ লগে লগে আমাৰ অসম মাতৃও এফেৰা টনকিয়াল হ'ব। ইতি

ওঁ শান্তি! শান্তি!! শান্তিৰেৰ শান্তি।

(**উৎস ঃ কুণ্ডিল**, চতুৰ্থ সংখ্যা, সদৌ চুতীয়া জাতি সন্মিল, অসমৰ মহাৰজত জয়ন্তী বৰ্ষ, ২০০০, পৃঃ ২-১২)



## পৰিশিষ্ট ঝ

আসাম চুতীয়া সন্মিলন (দ্বিতীয় অধিৱেশন, নগাঁও ঃ ১৯২৭ চন)

# *সভাপতি নীলমণি ফুকন ডাঙৰীয়াৰ অভিভাষণ*

আদৰণী সভাৰ সভাপতি ডাঙৰীয়া, প্ৰতিনিধিবৰ্গ আৰু উপস্থিত সমজুৱাসকল,

এই ঠাইতে অসমীয়া জাতিক পবিত্ৰ কৰিবলৈ এদিন আকাশী গঙ্গা নামি আহিছিল; এই ঠাইতে আসামৰ মক্কা বৰদোৱা সত্ৰ আজিও বিদ্যমান; এই ঠাইৰ 'শান্তি' পানীয়ে কতজনৰ তাপিত প্ৰাণ শীতল কৰিছে; এই ঠাইতেই অসমীয়া জাতিৰ ধৰ্ম্ম-কৰ্ম্ম সমাজ সাহিত্যৰ প্ৰাণ দিওঁতা মহাপুৰুষ শঙ্কৰ গুৰু আবিৰ্ভাৱ হৈছিল; নিদৰ্শন স্বৰূপে আজিও শঙ্কৰ শিলিখাই অসমীয়া জাতিৰ মুখত হৰি নামত ৰুচি জন্মাই ঠন্ ধৰি আছে। এই ঠাই বৰ্ত্তমান যুগৰো পুনৰভ্যুদয় (Renaissance) আনোতাসকলৰ অন্যতম নেতা সৌম্যমূৰ্ত্তি গুণাভিৰাম বৰুৱা প্ৰমুখ্যে কেবাজনো আসাম মাতৃৰ কৃতী সন্তানৰ জন্ম স্থান। এনে অতীত আৰু বৰ্ত্তমান যুগৰ স্মৃতিৰে উপচি থকা মাজ-আসামৰ এই হেন ৰহিয়াল ঠাইত সন্মিলিত আসাম মাতৃৰ এদল সন্তানৰ এই সজ অনুষ্ঠানৰ সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ উজনী আসামৰ জাবৰ-খৰাহিত পৰি থকা এই অযোগ্যজনক কাৰ্য্য গতিকে হলেও আপোনাসকলে বুটলি অনাৰ কাৰণ একো বুজিব নোৱাৰিলোঁ। একমাত্ৰ কাৰণ মই বিচাৰি পাইছোঁ যে মোৰ জন্মস্থান উজনী আসামেই চুতীয়া জাতিৰ কৰ্ম্মভূমি আছিল। এই ঠাইতেই চুতীয়া জাতিৰ প্ৰাতপসূৰ্য্য উদয় হয়, এই ঠাইতেই চুতীয়া জাতিয়ে সাধি সাধি সাধনীক পায় আৰু এই ঠাইতেই হেৰুৱায়। জানোছা সেই ঠাইৰ পৰা অহা এজনে আপোনালোকক হেৰোৱা স্যমন্তক মণি বিচাৰিবলৈ বাট দেখুৱাব পাৰে, জানোছা আপোনালোসকলৰ পূৰ্ব্ব-পুৰুষসকলৰ বাতৰি আনি মনত আনন্দ দিব পাৰে; জানোছা তেওঁলোকৰ কীৰ্ত্তিকলাপৰ প্ৰত্যক্ষ সাক্ষী দি মনত আত্মপ্ৰত্যয় জন্মাব পাৰে, এই বিশ্বাসেই বোধ কৰো এই বাছনিৰ মূল কথা। কিন্তু, বন্ধুসকল! মোৰ জন্ম পূণ্যতীৰ্থ কাশীত হলেও,

মই দিন নিয়াইছো ব্যাস কাশীত, মই কৰ্ম্মনাশাৰ ইমান ওচৰত যে কামাক্যামুৱা হলেও তীৰ্থফলৰ পৰা বঞ্চিত।

সেই কাৰণে মই আপোনাসকলৰ এই বাছনিৰ প্ৰশংসা পাবৰ যোগ্য নহলেও, আপোনাসকলে উদাৰচিতীয়া হৈ মোক যি এই সন্মান দেখুৱালে তাৰ বাবে মোৰ আন্তৰিক ধন্যবাদ গ্ৰহণ কৰক। 'মই'ৰ অহঙ্কাৰত আপোনাসকলে আগবঢ়াই দিয়াত এই ওখ আসন গ্ৰহণ কৰিলো যদিও, এতিয়া তাত বহিহে নিজৰ বাওনা দেহৰ জোখ পাইছো। মোৰ এই সাক্ষী-গোপাল অৱস্থালৈ চকু নিদি, আত্ম-বিশ্বাসী হৈ অন্তৰ্য্যামী বিৰাটপুৰুষৰ আশীৰ্ব্বাদ ভিক্ষা কৰি, যাতে এই শুভ আয়োজন সম্ফল হয় তাৰ নিমিত্তে আপোনাসকলৰ যথা সাধ্য চেষ্টা যেন অটুট থাকে মই কৰযোৰ কৰি আপোনাসকলক এই মিনতি কৰোঁ। হে মঙ্গলময় বিধতা! তোমাৰ যি শুভাকাঙ্খী বিধানত ফেটি সাপৰ মূৰতো ঔষধীমৃত লুকাই আছে, সেই পৰিণতি শুভ বিধানৰ ওপৰত ধ্ৰুব বিশ্বাস ৰাখি আজিৰ এই পিচ পৰা সম্প্ৰদায়ে আত্মোন্নতিৰ পথত ধাকুৰি যাব পাৰে যেন, হৃদয়ত এই বল দিয়া; নিয়তিৰ টনা আজোৰত লেউ-সেউ, নহৈ পুৰুষকাৰেৰে তোমাৰ নিত্যলীলা যেন সম্ভোগ কৰিব পাৰে এই শক্তিদিয়াঁ।

ডাঙৰীয়াসকল ! নিমন্ত্ৰিতজনে, যাৰ আতিথ্য গ্ৰহণ কৰে তেওঁৰ আটি-গুৰি সম্বন্ধে স্বভাৱতে অলপ জানিবলৈ ইচ্ছা কৰে। চুতীয়া জাতিৰ বিষয়ে আপোনাসকলে সভাপতিৰ আসনৰপৰা মোৰ মুখত দু-আষাৰ শুনিবলৈ ইচ্ছা কৰিব পাৰে। একালত ৰাজপাটত বহি আজি সমাজৰ এচুকত ম্ৰিয়মান হৈ পৰি থকা এটা জাতিৰ প্ৰকৃত চিত্ৰ সত্যত ৰহন নলগাই হুবহু আঁকি দেখুৱাব পৰা যাৰ তাৰ কাম নহয়। মই যে সেই কামৰ বাবে সম্পূৰ্ণ অক্ষম সেইকথা আপোনাসকলে ভালকৈ জানে। সুখৰ বিষয় আপোনাসকলৰ প্ৰথম সন্মিলনৰ সুযোগ্য সভাপতি অসমীয়া সাহিত্য জগতত সুপৰিচিত শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ গৱেষণাপূৰ্ণ অভিভাষণখনিত এই বিষয়ে বিস্তাৰিত ভাৱে যুক্তিপূৰ্ণ আলোচনা কৰা হৈ গৈছে। কাজেই মই এই বিষয়ে পুনৰুক্তি নকৰিলেও চলিব আৰু ইয়াৰ দৰকাৰো নাই। কিয়নো, মই যিমানদূৰ বুজিব পাৰিছোঁ, আপোনাসকলৰ এই সন্মিলনীৰ উদ্দেশ্য এনে নহয় যে অতীত বুৰঞ্জীৰ উৰঁলি যোৱা পাত কেইটাৰ পুনৰ উদ্ধাৰ কৰি আত্মকাহিনী বিলাপ কৰি জগতৰ পুতৌ পোৱা। আপোনালোকৰ ঘাই উদ্দেশ্য হৈছে অতীত বুৰঞ্জীৰ উদ্ধাৰ কৰাতকৈ নতুন বুৰঞ্জীৰ সৃষ্টি কৰা।

সেই কামত অতীত বুৰঞ্জীয়ে কেৱল আইনৰ নথি স্বৰূপে বল কৰিব, কিন্তু ৰাই (Judgement) হ'লে বৰ্ত্তমানৰ পাৰিপাৰ্শ্বিক ঘটনা সাপেক্ষে। আপোনাসকলৰ উদ্দেশ্য সম্বন্ধে মোৰ এই অনুমান যে অনেকটা সঁচা আপোনালোকৰ জ্ঞাতি এজনে লিখা 'চুতীয়া জাতি' পুস্তিকাখনিয়েই তাৰ প্ৰমাণ। আপোনাসকলৰ আটিগুৰি সম্বন্ধে তেওঁৰ প্ৰাঞ্জল ভাষাতেই মইও কওঁ যে - "উপবীত গ্ৰহণ কৰা নকৰা, বৈবাহিক সম্বন্ধৰ নিৰ্ণয়, ব্ৰহ্মাৰ



বাহুৰ পৰা হোৱা নোহোৱা আৰু অতীজৰ ক্ষত্ৰীয় আৰ্য্যৰ সতী বা সন্ততি ৰীতি-নীতি আদিৰ কথালৈ নগৈ থুল-মূলকৈ ইয়াকে জনাও যে সাহিয়াল আৰু যুঁজাৰু যি ফৈদ, যাৰ নায়ক ৰজা, সেই ক্ষত্ৰিয় শক্তি বিশিষ্ট ক্ষত্ৰিয় সৌৰ্য বীৰ্য্যেৰে চুতীয়া সম্প্ৰদায়ো এসময়ত গঠিত আছিল। উত্তম অধম বা জাতকুল বিচাৰ কৰিবলৈ যোৱাটো আমাৰ প্ৰধান লক্ষ্য নহয়।" সঁচা কথা। বোৱঁতী নৈৰ পানী কৰ পৰা আহিছে এই কথা কোনেও বিচাৰ নকৰে। কিন্তু শান্তনু নন্দন, মহাবাহো ব্ৰহ্মপুত্ৰহেন নৈৰ মৰাসোঁতা এটাৰ পানী এচলুও মুখত ল'বলৈ আশংকা হব। গুণ আৰু কৰ্ম্ম লৈ আদিতে যি চতুৰ্ব্বৰ্ণ সৃষ্টিৰ কথা চলি আহিছে সি আজিও সনাতন সত্য। সি আজিও সকলো দেশতে সকলো সমাজতে ভিন্ ভিন্ নাম আৰু ৰূপ লৈ চলিছে। এই Scientific classification ত (ন্যায়সঙ্গত জাতি বিভাগত) আৰ্য্য নামধাৰীয়েই পৰক বা অনাৰ্য্য নামধাৰীয়েই পৰক তাত কোনো লাভ-লোকচান বা হীন-ডেৰী নাই। Call the rose by any other name it will smell as sweet. বাস্তৱতে যথাৰ্থতে এপাহ গোলাপফুলক পলাশ নাম দিলেও কোনো ক্ষতি নাই। সি তথাপিও গোলাপৰ সুগন্ধী দিবই দিব। চুতীয়া জাতিৰ আদি ক'ত অন্ত ক'ত এই তৰ্কৰ মৰণামৰা আজিৰ দিনত আমাৰ কাম নহয়। আমি জানো যে চুতীয়া জাতি এসময়ত আসামত এটা প্ৰৱল জাতি আছিল। চুতীয়া ৰাজদণ্ডৰ ওচৰত সকলোৱে মূৰ দোঁৱাইছিল। যদি এই জাতিয়ে এসময়ত ৰাজভোগ কৰিছিল তেন্তে ই নিশ্চয় যোগ্যবান জাতি আছিল তাৰ কোনো ভুল নাই। তেওঁলোকৰ যদিও আজি ককাল পৰিল, শকত-আবত হাড় কেইদালৰ প্ৰশংসা নকৰি জানো থাকিব পাৰি? বাস্তৱতে এই চুতীয়া জাতিৰ উত্থান-পতন বিষয়ে কবলৈ গলে বহুত কথা কব লাগিব।

কব লাগিব চুতীয়া জাতিয়ে অসমত তিনিশ বছৰ ৰাজত্ব কৰাৰ কাহিনী; দিব লাগিব আসামত সিচঁৰতি হৈ থকা প্ৰায় একলাখ মানুহৰ সমাজচিত্ৰ, যাব লাগিব অতীতৰ কুণ্ডিল নগৰৰ ধ্বংসাৱশেষৰ মাজত ভীষ্মক ৰজাৰ কীৰ্তিকলাপৰ চিন মোকাম বিচাৰি; দিব লাগিব সদিয়া নামৰ উৎপত্তি বৃতান্ত; কি দৰে কেঁচাইখাঁতী গোসাঁনীক তেওঁলোকে সদিয়াৰ তামৰ দেৱালয়ত পুঁজিছিল; ক'ব লাগিব ৰুক্মিণীহৰণৰ কথা, ৰাজকন্যা সাধনীৰ সামান্য এজন চুতীয়া ল'ৰাৰ সৈতে পৰিচয়; ক'ব লাগিব তেওঁলোকৰ স্থাপিত নগৰ, প্ৰাচীৰ, মঠ-মন্দিৰৰ কথা; বৰ্ণিব লাগিব তেওঁলোকৰ সৌৰ্য-বীৰ্য্যৰ কথা। ডাঙৰীয়াসকল! চুতীয়া জাতিৰ এই 'অতীত গৌৰৱ কাহিনী' বাণী আজি মোৰ ক্ষীণ কণ্ঠেৰে যে আপোনালোকক প্ৰাণস্পৰ্শী কৰি শুনাব পাৰিম সেই আশা নাই। মুঠতে ইয়াকে ক'ব খোজোঁ যে 'বাঁহৰ এফাল মানুহৰ একাল এই অখণ্ডনীয় প্ৰাকৃতিক নিয়ম অনুসাৰে এই জাতি একালত' দোপত্ দোপে উঠি আকৌ পৰিল। এতিয়া পিছল খোৱা ঠাইতেই আকৌ উঠিবৰ স্বাভাৱিক চেষ্টাই এইবিলাক সভা-সন্মিলনীৰ সূত্ৰপাত।

এইখিনিতে এনে এটা প্ৰশ্ন উঠিব পাৰে যে সাম্প্ৰদায়িকভাৱে পতা সভা

সমিতিবিলাক জাতীয় উন্নতিৰ পৰিপন্থীনে? বৰ্তমান সময়ত গোটেই দেশব্যাপী সাম্প্ৰদায়িক বিৰোধৰ ঢৌৱে যেতিয়া ইমান খলকনি লগাইছে এই আশঙ্কা মানুহৰ মনত আৰু দকৈ বহি গৈছে। মোৰ বোধেৰে ইয়াৰ উত্তৰ এইদৰে দিব পাৰি। যদি কোনো সম্প্ৰদায়ে এইবিলাক সভাসমিতিৰ আশ্ৰয় লৈ সমাজৰ ঘাই গছত ৰঘুমলা হৈ বাঢ়িব খোজে তেন্তে এইবিলাক অনুষ্ঠান নিশ্চয় বিষবৃক্ষত পৰিণত হবগৈ। কিন্তু যদিহে ডাঙৰ গছৰ তলত কটুৰ মাটিত বাঢ়িব নোৱাৰি পেপুৱা লাগি থকা অৱস্থাৰ হাত সাৰিবলৈ অলপ আঁতৰ হৈ ৰ'দ-বতাহ পাই চেচুকৰ ডামডৌকা গুচি লহ্‌পহ্‌কৈ বাঢ়িব খোজে তেন্তে তাত ক্ষতি নাই। বৰঞ্চ তাৰ বাবে লোকাৰণ্যৰ আৰু শোভাহে বাঢ়িব। মৰা গছ মৰা ডালে আন গছ-গছনিৰো ঠাল-ঠেঙ্গলি ভাঙি লঠঙ্গ কৰাৰ আশঙ্কা নেথাকিব। আৰু এটা কথা বৰ্তমানৰ সাম্প্ৰদায়িক বিৰোধ ভাববিলাক হঠাতে উকুৱাৰ কাৰণটো কি? একো একোটা ফিৰিঙতিয়ে খাণ্ডৱদাহ কৰিছে কিয়? এইটো জানো ভাবি চাব লগীয়া কথা নহয়? দুখৰ বিষয় সম্প্ৰতি ভাৰতৰ কোনো কোনো ঠাইত হিন্দু-মুছলমানৰ ভিতৰত যি সংঘৰ্ষ ঘটি উঠিছে (অৱশ্যে দুই সম্প্ৰদায়ৰে অবিবেচকসকলৰ এই কাম) অনেকে তালৈকে আঙ্গুলিয়াই সাম্প্ৰদায়িকতাই ইয়াৰ মূল কাৰণ বুলি ক'ব খোজে।

এই বিষয়ে সমালোচনা কৰা আজি সময়ো নাই, ঠায়ো নহয়, তথাপি এষাৰ কোৱা দৰকাৰ যেন ভাবো। হিন্দু-মুছলমানৰ মৌলিক পাৰ্থক্য আকস্মিক (Accidental) নহয়। এই পাৰ্থক্য প্ৰকৃতিগত (Temperamental) হলেও সি এই দুই জাতিৰ (Fusion) অৰ্থাৎ মিলনত বাধা দিব নোৱাৰে। বৰ্ত্তমানৰ টন্‌টনীয়া ভাবেই (Tension) এই (Fusion) মিলন আনিব। যি দুই জাতিয়ে এদিন সভ্যতাৰ দুধাৰা সোঁত বোৱাই জগত প্লাৱিত কৰিছিল, সেই সোঁতৰ ধাৰ আগৰ দৰে কোবাল নহলেও ফল্গু নৈৰ দৰে সি আজিও তলে তলে বৈ আছে, তাৰ বিৰাম হোৱা নাই। এই দুই ধাৰা সভ্যতা ভাৰতৰ আজি গঙ্গা, যমুনাৰ সঙ্গমৰ দৰে একে ঠাইতে মিলিত হৈছে। যিদৰে এই সঙ্গমস্থলত দুধাৰ সম্পূৰ্ণ বেলেগ ৰঙৰ পানী হ'লেও সেয়ে যে পূত-সলিলা প্ৰয়াগ তীৰ্থ, এই কথা আস্থাৱান তীৰ্থযাত্ৰী মাত্ৰেই পাহৰিব নোৱাৰে। সেইদৰে প্ৰকৃতিগত পাৰ্থক্য থাকিলেও হিন্দু-মুছলমানৰ মিলনেই যে ভাৰতবাসীৰ মুক্তিস্থান প্ৰয়াগতীৰ্থ, ভাৰতৰ প্ৰকৃত জাতীয়দলে এই কথা কেতিয়াও নেপাহৰে। কেৱল তীৰ্থস্নান কৰিব নজনাসকলে খলকণিত এই দুধাৰ পানী কৰিব খোজে। হিন্দু-মুছলমানৰ এই প্ৰকৃতিগত পাৰ্থক্যত ভেজালৈ অযোগ্য অথচ নেতা-পদৰ উচ্চাভিলাষী এদলে জনসাধাৰণৰ মাজত এই খোৱা-কামোৰা লগাৰ কাৰণ হৈ পৰিছে বুলি বিশ্বাস হয়। মোৰ সামান্য জ্ঞানেৰে যিমানখিনি ঢুকি পাইছোঁ তাৰে ইয়াকে ক'ব খোজে যে সাম্প্ৰদায়িকভাৱে নিজৰ বিশেষত্ব বজাই ৰাখি আত্মোন্নতিৰ প্ৰয়াস এই ঠেলা-ঠেলিৰ কাৰণ নহয়। এই জাতীয় জাগৰণৰ সময়ত আজি অতকাল পাম খাম বুলি লোকৰ মুখলৈ চাই সেপঢুকি আঁত শুকাই থকা



জাতিৰ অঙ্গ-প্ৰত্যঙ্গ স্বৰূপ সম্প্ৰদায়বিলাকে এগৰাহ খাবলৈ পাবৰ আগন্তুক দেখি পৰস্পৰে খোৱা-কামোৰা কৰাই এই সংঘৰ্ষৰ ঘাই কাৰণ। বুভুক্ষিতৰ সোপাই আত্মসাৎ কৰাৰ স্বাভাৱিক হেপাহ পেটত দুমুঠি ভালকৈ পৰিলেই সাম কাটিব। এই ঠাইত এইখিনি কথা একৰকম অবান্তৰ হলেও মোৰ কোৱাৰ উদ্দেশ্য এই যে আপোনালোকৰ ভিতৰত এই বিষয়ে যদি কাৰো খু-দুৱনি আছে তাক পাৰিলে দূৰ কৰিব লাগে। কুণ্ঠাহীন কামতহে বৈকুণ্ঠ পোৱা যায়। কিন্তু একৰকম এইখিনি কথা ইয়াত নোকোৱাহে যুগুত আছিল। কিয়নো, এতিয়াহে মনত খেলাইছে যে ৰাজনৈতিক খোৱা-কামোৰা আপোনাসকলৰ এই সন্মিলনৰ উদ্দেশ্যৰেই বাহিৰ। এতিয়া এই কথা মনত দ্বিধা নোহোৱাকৈ ক'ব খোজোঁ যে এই ৰাজনৈতিক খোৱা-কামোৰা বাদ দিলেও আমাৰ দেশত সাম্প্ৰদায়িক অনুষ্ঠানবিলাকৰ কোনো প্ৰয়োজন নাই, এইকথা সম্পূৰ্ণকৈ কোৱা টান। মই চিৰকাল বিশ্বাস কৰি আহিছোঁ যে প্ৰকৃত জাতীয়তাৰ ওচৰত সাম্প্ৰদায়িকতা তিষ্ঠিব নোৱাৰে আৰু তাৰ দৰকাৰো নাই। কিন্তু কাৰ্যস্থলত যেতিয়া আমাৰ ভিতৰত প্ৰকৃততে ষোলকলা জাতীয়তা প্ৰকাশ পোৱা নাই, দ্বিৰুক্তি দোষ নঘটিলে এই সম্বন্ধে আন দুই-চাৰি ঠাইত মোৰ যি মত প্ৰকাশ কৰি আহিছোঁ তাৰ পৰিবৰ্তন কৰিব নোৱাৰি মই আজি দুঃখিত। আন ঠাইত কোৱাৰ দৰে মই ইয়াতো ক'ব খোজোঁ যে যি দেশত এতিয়াও জাতিতকৈ জাত্যাভিমানে আমাক উন্মাদ কৰি থৈছে এই উৎকট অৱস্থাত সাম্প্ৰদায়িকভাৱে আগবাঢ়িব নোৱাৰিলে তিষ্ঠাও টান। কিয়নো, নিশকতীয়া সম্প্ৰদায়ৰ জাতীয় জীৱনত ঠাই নাই। তাতে বিশেষকৈ যি দেশত আমাৰ জাতৰ আচুতীয়াভাৱে পীড়িব লাগিছে।

এতিয়া আপোনাসকলৰ এই সন্মিলনৰ উদ্দেশ্য সম্বন্ধে মই যি দুই এটা কথা বুজিছোঁ তাকে কব খোজোঁ। সন্মিলনৰ নিয়মাৱলীৰপৰা আপোনাসকলৰ ঘাইকৈ এইকেইটা উদ্দেশ্যৰ কথা বুজিব পাৰিছোঁ—

(১) আসামৰ চুতীয়া সম্প্ৰদায়টোৰ ভিতৰত সুশিক্ষাৰ পোহৰেৰে একতা স্থাপন কৰি নৈতিক, মানসিক আৰু আৰ্থিক অৱস্থা উন্নত কৰিব পৰাই এই সন্মিলনৰ ঘাই উদ্দেশ্য।

(২) এই সন্মিলনে ৰাজনীতিৰ বিষয়ে আলোচনা নকৰে।

(৩) আসামৰ চুতীয়া সম্প্ৰদায়টোৰ উন্নতিৰ অৰ্থে সন্মিলনে তলত দিয়া কাৰ্য্যখিনি কৰিবৰ নিমিত্তে চেষ্টিত থাকিব।

(ক) পুৰাতনীয়া কথা অনুসন্ধান আৰু উদ্ধাৰ কৰি চুতীয়া জাতিৰ এখন ভাল বুৰঞ্জী উলিওৱা।

(খ) কোনো সজ উপায়েৰে চুতীয়া জাতিৰ লোকসকলৰ শিক্ষালৈ ধাউতি জন্মোৱা।

(গ) কু-সংস্কাৰ আদি আঁতৰাই সামাজিক অৱস্থা উন্নত কৰিবলৈ যত্ন কৰা।

(ঘ) এটা স্বজাতীয় ধন ভঁৰাল স্থাপন কৰা।

চুতীয়া বন্ধুসকল! অতি আনন্দৰ কথা যে আপোনাসকলে উন্নতিৰ জখলাৰ প্ৰথম সোপান শিক্ষাকেই এই সন্মিলনৰ মূল উদ্দেশ্য কৰিছে। যি দেশত 'স্বদেশে পূজ্যতে ৰাজা বিদ্বান সৰ্ব্বত্ৰ পূজ্যতে' অৰ্থাৎ নিজ দেশতহে ৰজাই পূজা পায়, কিন্তু বিদ্বানজনে সকলো ঠাইতে সেই পূজা পায়। এই ৰীতি আছিল, সেই দেশ আজি নিৰক্ষৰ হোৱাটো অকল সন্মান হেৰুৱাৰ কথাই নহয়, তাৰ দ্বাৰা অবিদ্যা মহাপাপ আৰ্জ্জি গোটেই দেশে নৰক ভূগিছে। আপোনালোকৰ ভিতৰত একতা স্থাপন কৰি নৈতিক, মানসিক আৰু আৰ্থিক অৱস্থা উন্নত কৰিব পৰা উপায় এই শিক্ষাইহে দিব। অশিক্ষিতৰ ভিতৰত একতা বোলা বস্তুটো কম আছে যদিও সি আপদে বিপদে দেহা নতৰিলে বাঘ দেখিলে গৰু-ম'হ সাধাৰণ জন্তুৱে থূপখোৱাৰ দৰে, গোটখোৱা ভাৱ। ই এমুঠি বালিৰ একতা, ইয়াত কৰাল নাই। ইয়াত আত্ম ৰক্ষাৰ কোচখোৱা ভাৱ আছে সঁচা; কিন্তু আত্মবিস্তাৰ, আত্মপ্ৰতিষ্ঠাৰ সজীৱতা (buoyancy) নাই। যি একতাই সমাজ দেহৰ কান্তি বঢ়াব নোৱাৰে, সেই একতাৰ কোনো অৰ্থ নাই। সংহতি কাৰ্য্যসাধিকা মুঠ বান্ধি কৰা কামহে সিজে, শিক্ষিত সমাজেহে এই কথা যথাৰ্থ বুজিব পাৰে। একতাৰ উপায়বিলাক শিক্ষিত সমাজত হাতৰ মুঠিত। জ্ঞান বিজ্ঞানৰ সহায়ত, দেশ কালৰ ব্যৱধান দূৰ কৰি শিক্ষিত সমাজে ডিহিঙে-ডিপাঙে থাকিলেও একতাৰ বৈদ্যুতিক আকৰ্ষণী শক্তি অনুভৱ কৰিব পাৰে আৰু অশিক্ষিত সমাজত পথাৰৰ সিপাৰৰ গাঁওখনৰ মানুহেই পৰদেশী। শিক্ষাৰ আদৰ যুগে যুগে হৈ আহিছে। কিন্তু কোনো কালেই বৰ্তমান সময়ৰ দৰে শিক্ষাৰ ইমান দৰকাৰ হোৱা নাছিল। জনসাধাৰণৰ মুক্তি এই শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰিছে। আপোনালোকে চকুৰ আগতে দেখিলে জন্মদাতা পিতাৰ পৰিচয় দিব নোৱাৰা এজন নিগ্ৰোসন্তানে এই শিক্ষাৰ প্ৰেৰণা হৃদয়ত আকোৱালি লৈ পদদলিত নিগ্ৰো জাতিটোক নিজৰ জীৱদ্দশাতে কিমানদূৰ ওপৰলৈ নিলে। আজি এই নিগ্ৰোসন্তান মহাত্মা বুকাৰৱাচিংটন জগতৰ নমস্য, জাতিৰ দেৱতা, সমাজৰ-সংস্কাৰক শিৰোমণি, শিক্ষাৰ এক (New Testament) নতুন শাস্ত্ৰ লিখোঁতা। মহাবীৰ কৰ্ণৰ ভাৰত বোলে পৃথিৱী ২১ আঙ্গুলি দোপ লৈ আছিল। মোৰ বোধেৰে এনে একোজন শিক্ষাবীৰৰ আকৰ্ষণত সমাজ ২১ হাত ওপৰলৈ উঠে। আজি সমস্ত জগতে যি ব্যক্তিগত স্বাধীনতাৰ ওপৰত সমাজ স্থাপিত কৰিব খুজিছে সেই শুভইচ্ছা এই শিক্ষাৰ বলতহে পূৰ্ণ হব। তেতিয়াহে জগতত প্ৰকৃত নৰনাৰায়ণৰ যুগ প্ৰৱৰ্ত্তিত হব। ডাঙৰীয়াসকল! এই শিক্ষাবিধি সম্বন্ধে আজি কালি না না মুনিৰ না না মত। কেনেবিধৰ শিক্ষাই আমাক তাৰিব পাৰে এই কথা লৈ মহা মহা শিক্ষাগুৰু সকলে অহোৰাত্ৰ আলচ কৰিবই লাগিছে, অথচ এই বিষয়ে শেষ কথা এজনেও কবপৰা নাই আৰু মোৰ বোধেৰে কবও নোৱাৰিব। কিয়নো, এই বৈজ্ঞানিক যুগত দিনে দিনে ন ন বৈজ্ঞানিক তথ্যই কত পুৰণি সত্যক নতুন ৰহন দিছে, কত বদ্ধমূল পুৰণি সংস্কাৰৰ আমুল পৰিৱৰ্তন কৰিছে তাৰ অন্ত নাই। শিক্ষাবিধি সম্বন্ধেও সেই একে



কথা। কিন্তু এটা কথা ধ্ৰুৱ সত্য যে প্ৰকৃত শিক্ষাবিধি কুমাৰৰ চাকৰদৰে যি সময়ত যেনে চৰু-কলহৰ দৰকাৰ তাকে তাত গঢ়িব পাৰি। শিক্ষাৰ এই গঢ়ি তোলা শক্তিয়ে (Plastic Principle) যুগে যুগে নিজৰ কাম কৰি আহিছে। আজি আপোনালোকৰ সম্প্ৰদায়ে কেনে শিক্ষা পোৱা উচিত সেই কথা আপোনাসকলৰ পাৰিপাৰ্শ্বিক অৱস্থালৈ মন কৰিহে কব পৰা হব। আজি ১৩।১৪ বছৰ শিক্ষকতা কৰি দেখিবলৈ পাইছো যে আপোনাসকলৰ সম্প্ৰদায়ৰ লৰাৰ সংখ্যা নিচেই কম। ইয়াৰ কাৰণ কি আপোনালোকে নিজেই ভালকৈ জানে। কিন্তু মোৰ অনুমানেৰে ইয়াকে পাওঁ যে আপোনালোক এই বিষয়ে নিৰুদ্যম। আপোনালোকৰ মানুহবিলাক যে আন আন সম্প্ৰদায়ৰ মানুহতকৈ বেছি যোত্ৰহীন এনে মোৰ মনে নধৰে। বৰং এমুঠি খাবলৈ আছে এডোখৰ পিন্ধিবলৈ পাইছোঁ অলপত এই তুষ্টিৰভাবে আৰু বেয়া কৰিছে। বহুতৰ মুখত শুনা যায় "আজি কালিনো লিখা-পঢ়া শিকাই কি কৰিবা। সেইয়া নেদেখিছানে অমূকৰ লৰাটো বি, এ, পাছ কৰিও ঘৰতে বহি আছে।" কথা সঁচা। কিন্তু মই কব খোজোঁ যে এই লৰাটিয়ে বি, এ, পাছ নকৰা হলেনো কি কৰি খালেহেঁতেন। তেতিয়াটো কোনো নহয় কোনো এটা জীৱিকাৰ পথ অৱলম্বন কৰিলেহেঁতেন। এতিয়াটো সেইপথ অৱলম্বন কৰিলেই হয়। অশিক্ষিত দেশ কাৰণেহে এইটো কামত মন বাঢ়ে, এইটো কামত মনৰ লাঘৱ হয়; এই বিচাৰ। কিন্তু মন কৰি চাওকচোন শিক্ষিত দেশবিলাকত কি হৈছে? তেওঁলোকে যিহতে হাত দিয়ে সেয়ে সন্মানৰ নহয়নে? অৱশ্যে বি, এ, পাছ কৰি বহি থাকিব লগা অৱস্থা বাঞ্ছনীয় নহয়। মই মাত্ৰ ইয়াকেহে কব খোজোঁ যে কেৱল পেটৰ ভাত মোকোলাবলৈকে শিক্ষাৰ উদ্দেশ্য নহয়। শিক্ষাই মানুহক সমৰ্থবানহে কৰে, কেতিয়াও অকামিলা নকৰে। অৱস্থা চাই ব্যৱস্থা দিয়াই উচিত। শিক্ষাৰ বিষয়ে কবলৈ গলে অন্ত নপৰে। মোৰ এইটো ধ্ৰুৱবিশ্বাস যে আপোনাসকলে প্ৰত্যেক লৰাক অন্ততঃ প্ৰাইমেৰী শিক্ষা দিম এই প্ৰতিজ্ঞা মনে মনে কৰে। কলিয়া আখৰেৰে চিনাকি নোহোৱাটো আজি কালিৰ দিনত একৰকম নচলা কথা। ক ক ম ম বুলিব পৰা শিক্ষাই যে মানুহক প্ৰকৃত বিদ্বান বা জ্ঞানী কৰিব পাৰে এইকথা মই নকওঁ। এই বিষয়ে মই পূৰ্ব্বে আন এঠাইত কোৱা এষাৰ কথা কওঁ যে অশিক্ষিতৰ মাজতো যে জ্ঞান বস্তু নাই এনে নহয়। কিন্তু অশিক্ষিত মানুহে কামত আউল লগাই। এই কাৰণে জীৱনৰ দৈনন্দিক সাধাৰণ ভাতখোৱা মাছখোৱা বিধৰ কথা চলাবলৈকো অন্ততঃ অলপ লিখাপঢ়া শিকাৰ দৰকাৰ। আৰু অলপ অচৰপ হলেও লিখাপঢ়াই মানুহক অনেকদূৰ, মাৰ্জ্জিতৰুচি, উদ্যোগী আৰু কুসংস্কাৰ বৰ্জ্জিত কৰে। ইয়ো কম লাভৰ কথা নহয়। ইয়াৰ বাহিৰেও জনসাধাৰণৰ এই শিক্ষাৰ আৱশ্যকতাৰ আৰু কাৰণ আছে। এই যুগক (Democratic Age) জনসাধাৰণৰ দিন বুলি সকলোৱে কয়। সাৰ্ব্বজনিন শিক্ষাই (Universal education) হে ইয়াক যুগমীয়া কৰিব পাৰিব। এই সাৰ্ব্বজনিন শিক্ষাই এসময়ত য়ুৰোপক সকলো প্ৰকাৰ বন্ধনৰ পৰা মুক্ত কৰিলে। যি

দেশত আজি বেৰৰ জেঠিটোৱেও চলন-ফিৰণৰ ওপৰত আধিপত্য কৰিছে, যি দেশত হাঁচি এটায়ে দহখোজ পিছুৱাই নিব পাৰে, যি দেশত কলমটো ছুই দিলেও লিখাৰ গুণ ধৰে, সেই দেশত মনৰ এইবিলাক মলিয়ন ধুই নিবলৈ, ধুঁৱলি-কুঁৱলী অৱস্থা গুচাবলৈ শিক্ষাৰ সোঁত বোঁৱাব লাগিব, পোহৰ পেলাব লাগিব। ইয়াৰ বাহিৰে আন বাট নাই। বন্ধুসকল! আপোনাসকলে নিজৰ নৈতিক, মানসিক আৰু আৰ্থিক উন্নতি এই শিক্ষাৰ মাজেদিহে হক বুলি বিশ্বাস কৰিছে সি অন্ধবিশ্বাস নহয়। বৰ্ত্তমান যুগত এই তিনি বিষয়ত যিবিলাক জাতিয়ে মুধচ ফুটাইছে সেই শিৰফুটা জাতিবিলাকেই এই যোগ্য-ভোগ্য-বসুন্ধৰাক নিজৰ ভোগৰ বস্তু কৰি লব পাৰিছে। এই শিক্ষাৰ বলত অতি আদিযুগত মানৱ সমাজত একতাই যি বল আছিল (Unity is strength) বৰ্ত্তমান যুগত ক'ব পাৰি "knowledge is power" জ্ঞানেই আদ্য শক্তি। শিক্ষাৰ মাজেদি এই জ্ঞান আৰ্জ্জিবলৈ আপোনাসকল উঠিপৰি লাগক। সিদ্ধি লাভ হবই হব। শিক্ষামন্ত্ৰত দীক্ষিত হওক, ইষ্ট লাভ হবই হব। আপোনাসকলৰ ভিতৰত উচ্চশিক্ষিতৰ সংখ্যা কিমান যদিও মই নেজানো, কিন্তু বৰ বেচি যে নহয় এইটো কাৰ্যগতিকে অনুমান কৰিব পৰা গৈছে। আপোনাসকলৰ ভিতৰত যে উচ্চশিক্ষা পাবৰ যোগ্য লৰা নাই এই কথা কেতিয়াও হব নোৱাৰে। কেৱল সুবিধাৰ অভাৱত বোধ কৰো আগুৱাব পৰা নাই। প্ৰতিযোগিতাত আন আন সম্প্ৰদায়ৰ সমকক্ষ হব নোৱাৰিলে অনুগ্ৰহৰ ওপৰত কিমান দিন চলিব পাৰি। য'তেই অনুগ্ৰহ, ত'তেই নিগ্ৰহৰো আশঙ্কা আছে। মুঠতে বৰ্ত্তমান সময়ত আন আন সম্প্ৰদায়ে যিদৰে শিক্ষা লাভ কৰিছে, আপোনালোকেও সেই শিক্ষা লাভ কৰিব লাগিব। নহলে আন আন উন্নত সম্প্ৰদায়ে নিশ্চয় জানিব, কিছু নহয় কিছু হেয়জ্ঞান কৰিব। আৰু জানিব যোগ্যজনক কেৰে অনাদৰ কৰিব নোৱাৰে। আপোনাসকলে এই সময়ত আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ কীৰ্ত্তিকলাপ স্মৰণ কৰক হৃদয়ত বল পাব, মনত আশ্বাস পাব, বাহুত বল আহিব; মনত এই আত্ম-বিশ্বাস জন্মাই লৈ শিক্ষাৰ পোহৰত ঠিয় হওক আকৌ আগৰ জেউতি ফিৰি আহিব, সমাজত সমান অধিকাৰ ভোগ কৰিবলৈ পাব।

আৰু এক পটিয়েদি শিক্ষাস্থল ওলাবগৈ লাগিব। অন্ন-চিন্তাও এই যুগৰ এটি ঘোৰ সমস্যা। ইয়াৰ সমাধান নিচেই উজু কাম নহয়। এই কাৰবাৰী যুগত 'টেকনিকেল' আৰু 'ইনডাষ্ট্ৰিয়েল' Education শিক্ষাৰ বিশেষ প্ৰয়োজন আছে। এই বাটেদি আপোনাসকলৰ দুই চাৰি ডেকা যোৱা উচিত। সুখৰ বিষয় হাতৰ কামলৈ এতিয়া আমাৰ মানুহৰ অনেকটা ৰাপ বহিছে। আমাৰ লৰাই যে হাতৰ কাম কৰিবলৈ এঙ্গাইছিল ইয়াৰ বাবে দায়ী আমাৰ সমাজেই। বিশ্বকৰ্ম্মাক পূজা দেশত হাতৰ বন কৰিবলৈ ঘিণ কৰাতো এক ৰকম আচৰিত ঘৃণনীয় কথাহে। কাৰখানাত কাম কৰা এশটকীয়া বৰ মিস্ত্ৰিতকৈ ১৫ টকীয়া কাৰখানাৰ অফিচৰ কাম কৰা বাবুজনৰ মান বেচি। যি হওক এই ভাৱ লাহে লাহে অনেকটা কমিছে। বেছি দূৰলৈ যাবই নেলাগে, বৰ্ত্তমান আমাৰ আসামত পঞ্জাবী আৰু



চীনা মিস্ত্ৰীবিলাকে কিমান টকা চকুৰ আগতে উপাৰ্জ্জন কৰিছে তালৈ মন কৰিলেই হয়। এইবিলাক সুযোগ আমি লব নোৱাৰাটো আমাৰ নিজৰেই দোষ। সেইবাবে বিদেশীয়ে চুছিলেও বুলি টেটু ফালি চিঞৰি ফুৰিলে কি হব। কিন্তু এই খিনিতে আকৌ কওঁ যে এই সকলোবিধ শিক্ষাৰ মূলতে হৈছে, গাঁৱে ভূঁৱে ঘৰে ঘৰে সৰ্ব্বসাধাৰণৰ শিক্ষা বিস্তাৰ।

আপোনাসকলে সাম্প্ৰদায়িকভাৱে ৰাজনীতি বিষয়ে আলোচনা কৰিব খোজা নাই। এইটো আপোনালোকৰ সজবিবেচনাৰ পৰিচায়ক। যথাৰ্থতে কবলৈ গলে যিমানবিলাক দুখ-সুখৰ ঘটনাই সমাজ তোলপাৰ কৰি থাকে তাৰ কিমানখিনি ৰজাঘৰৰ পৰা প্ৰতিকাৰ হব পাৰে। কবিৰ এই মনোভাৱ কল্পনা প্ৰসুত নহয়; ই আখৰে-আখৰে সত্য। আমাৰ সমাজৰ যিমানবিলাক গ্লানি আছে, তাৰ তুলনাত ৰাজনৈতিক অভাৱ অভিযোগ সামান্য কথা।

ৰাজনীতি ক্ষেত্ৰত সাম্প্ৰদায়িকভাৱে ঠিয় হলে লেঠা আৰু বঢ়াৰহে কথা। ৰাজনীতি ক্ষেত্ৰত ব্ৰাহ্মণ, কায়স্থ, হিন্দু, মুছলমান, আহোম, চুতীয়া আদি বেলেগ বেলেগ সাজ পিন্ধি ওলালে লোকচান, লাভ নাই। তাত কেৱল মাত্ৰ 'অসমীয়া' এই ভাব লৈ যাব লাগিব। জাতিতকৈ জ্ঞাতি কেতিয়াও ডাঙৰ হব নোৱাৰে। ৰাজনীতিৰ মাজত যদিও সকলো 'নীতি' সোমাই আছে তথাপি তাৰ এটা বেলেগ জাতীয় উদ্দেশ্য আছে। সাম্প্ৰদায়িকে তাক চকুৰে চোৱা উচিত নহয়। ৰাজনীতি সম্বন্ধে আমি সকলো সম্প্ৰদায় যেন জগন্নাথ ক্ষেত্ৰত, তাত ভৰি দিয়া মাত্ৰে জাত-কুল বিচাৰ নাথাকে। তাত সকলোৱে সকলোৰে মুখত অন্ন যাচিব পাৰে - একাকাৰ ভাব। তাত মনে চিত্তে পৰস্পৰলৈ ঘৃণাৰ ভাব ৰাখিলে তাৰ ৰথ নচলা হয়, ৰাজনীতি জগন্নাথ ক্ষেত্ৰতো স্বাৰ্থৰ বিৰোধ ভাব মনত আনিলে ৰথ অচল হ'ব। এই কথা সকলো জাতীয় সম্প্ৰদায়ে মনত ৰখা উচিত। বৰ সৌভাগ্যৰ কথা যে এদিন আপোনালোকৰ সম্প্ৰদায়ৰ মুখ উজ্জ্বলকাৰী শ্ৰদ্ধাস্পদ শ্ৰীযুত হেমধৰ পাত্ৰবৰা ডাঙ্গৰীয়াৰে সৈতে কিছুদিন ৰাজনীতি ক্ষেত্ৰত মোৰ দেখাদেখি হৈছিল। এতিয়াও তেখেতৰ বয়সৰ বিপৰীতে ডেকাৰ দৰে উৎসাহৰ কথা মনত পৰে। আজি তেখেতক এই সভাত দেখি আৰু আনন্দ পাইছো।

এই জাতিয়ে এদিন আসাম বুৰঞ্জীৰ কেবা অধ্যায়ো সোণালী আখৰেৰে লিখি থৈ গৈছে। সেই জাতিয়ে যে আজি নিজ সম্প্ৰদায়ৰ বিষয়ে অনুসন্ধিতসু হৈ চুতীয়া জাতিৰ এখন বিস্তাৰিত বুৰঞ্জী লিখিবলৈ কাৰবাৰ কৰিছে এইটো স্বাভাৱিক কথা। অতীজৰ প্ৰতিধ্বনিয়ে নিজম সমাজক ৰিঙিয়াই ৰিঙিয়াই কোন ভৱিষ্যৰ ৰম্যপূৰীলৈ লৈ যায় তাক কোনে ক'ব পাৰে? অৱশ্যে সোৱোপা জাতিৰ পক্ষে সেই প্ৰতিধ্বনি বিননিৰ নামান্তৰ মাত্ৰ। কিন্তু যি জাতিয়ে পৰা অৱস্থাৰ পৰা আকৌ উঠিবৰ আন্তৰিক চেষ্টা কৰে তেওঁলোকৰ পক্ষে সেই ধ্বনিয়ে ৰণ শিঙ্গাৰ কাম দিব। তেওঁলোকে তাৰ নিনাদত হুঙ্কাৰ ছাৰি দুগুণ উৎসাহেৰে ৰণক্ষেত্ৰত প্ৰৱেশ কৰি ৰণজয়ী হৈ আকৌ বীৰাসন অধিকাৰ

কৰিব। প্ৰত্যেক জাতিৰেই কিছুমান কিম্বদন্তি আছে। সেইবিলাকে ঠাৰে-ঢিঁয়াৰে যদিও সেই জাতিৰ সম্বন্ধে বহুত তথ্য জানিবলৈ দিয়ে, তাৰ পোন-পটিয়ে আচল কথাখিনি জানিবলৈ অলপ টান হয়। তাক পথাৰৰ মাজৰ গছৰ দৰে যাৰ যেনে ইচ্ছা তেনে দৰে পোনাই নিয়ে। কিন্তু বুৰঞ্জীমূলক কথাত কোনো ৰহণ নাই, ভাঁজ নাই, সেই কাৰণে যি জাতিৰ বুৰঞ্জী আছে, সেই জাতিৰ আত্ম-প্ৰত্যয়ো বেচি। কিয়নো, বোপা-ককাই দেখাত যিবোৰ কাম কৰি থৈ গৈছে, সেই কাম আমিনো কিয় কৰিব নোৱাৰিম মনত এনে এটা বল আহে। সময়ত আকৌ তাৰ বিপৰীতো হয়। বোপা-ককাৰ নাম লৈয়ে খাম এনেদৰে ভবা লোকো আছে। বুঢ়ী আইৰ সাধু শুনি টোপনি অহাৰ দৰে বুৰঞ্জীৰ কথাই তেওঁলোকৰ তন্দ্ৰাহে আনে আৰু সেই অৱস্থাত তেওঁলোকে কেৱল স্বপ্নকেহে দেখে। বুৰঞ্জী এওঁলোকৰ পক্ষে উপাখ্যান, বিছনাত পৰি টোপনি অহাবলৈ পঢ়া গল্প কিতাপ। চুতীয়া ভাতৃসকল ! আপোনালোকৰ এই জাতীয় বুৰঞ্জী লিখিবলৈ যি প্ৰয়াস দেখিছোঁ, মোৰ বিশ্বাস, তাৰে আপোনাসকলে বোপা-ককাৰ নাম লৈ অকামিলা হৈ ভালৰ সতি সন্ততি বুলিয়েই লোকৰ ওপৰত ছলহা দি খোৱাৰ বুধি নহয়। তাৰ ঘাই কাৰণ মই অনুমান কৰিছোঁ আপোনাসকলৰ নিজৰ ভিতৰত যিসকলে আত্মবিশ্বাস হেৰুৱাইছে আৰু কপাল গুণি হাত সাৱতি বহি আছে, তেওঁলোকক এই দাপোণৰ আগলৈ আনি দেখুৱাব খুজিছোঁ যে তেওঁলোক বাঘ নে বোন্দা। আপোনাসকলে সাধুকথাৰ ভেঁৰাছাগলীৰ মাজত ডাঙৰ-দীঘল হোৱা বাঘৰ পোৱালিৰ কথা শুনিছে, আপোনালোকে জানে যে সেই বাঘ পোৱালিয়ে কি দৰে ভেঁৰাৰ আঁচৰণ কৰি থাকোতে এদিন আন এটা বাঘে পানীত তাৰ ছাঁটো দেখুৱাত সুপিকে ভেঁৰাছাগলী পেটত ভৰালে। সাধুকথা হ'লেও কথাটো অতি সাধু। ভগৱানেও মাজে সময়ে নিজৰ বিৰাট মূৰ্ত্তিৰ ৰূপ ধৰি চাইহে ঈশ্বৰত্ব ৰক্ষা কৰিছিল। এই কাৰণে শাস্ত্ৰৰ আদেশ, আত্মানং বিধি (know thy-self) নিজক চিনি পোৱা। বুৰঞ্জীৰ সহায় লৈ যদি আপোনাসকলে ইয়াৰ ভ্ৰুকুতি সহিব পৰা শক্তি বিচাৰিছে, আগৰ মনৰ ভ্ৰান্ত ধাৰণা গুচাব খুজিছে, তাতোকৈ অপকাৰী নিজৰ মনৰ আউল যদি ভাঙিব খুজিছে, হৃদয় দৌৰ্ব্বল্য ত্যাগ কৰি যদি নিজৰ জাতীয় কুৰুক্ষেত্ৰত পৰন্তপ অজ্জুৰ্নৰ গাণ্ডীৱ ধনু ধৰিব খুজিছে তেন্তে সেই আত্মপ্ৰকাশ নিতান্ত লাগতিয়াল বস্তু। আত্ম-গোপনেই আত্ম-ঘাতিৰ পূৰ্ব লক্ষণ।

ডাঙৰীয়াসকল ! আপোনাসকলে আপোনালোকৰ মাজত শিক্ষালৈ ধাউতি জন্মোৱা বিষয়ে উপায় বিচাৰিছে। মলা ঘূৰাওতে ঘূৰাওতেহে ইষ্টদেৱতালৈ আগ্ৰহ জন্মে। খাওঁতে শিক্ষা, শোওঁতে শিক্ষা, বহোতে শিক্ষা এই নাম উচ্চাৰণ কৰোতে কাৰোতেহে শেষত "কানু বিনে প্ৰাণ নাহি ৰহে" এই ভাৱ আপোনা আপুনি আহি পৰিব। তথাপি আপোনাসকলৰ মাজত বৰ্ত্তমান যি সকল শিক্ষিত, তেওঁলোকে এই কামত বিশেষ সহায় কৰিব পাৰে। প্ৰথমে তেওঁলোকে সভাই-সমিতিয়ে, বিয়াই-সবাহে, ছাউল-খোৱা, কীৰ্ত্তন-



গোৱা, যতে দহজনক বুজাবলৈ সুবিধা পোৱা যায় ততে এই শিক্ষাৰ বিষয়ে প্ৰচাৰ কৰক। তেতিয়াই গাঁৱৰ এজনে আহি "ৰচিদখন চাই দিয়াচোন বোপাই কেইটকাৰ লিখিলে মোৰ আগত দেখোন দহোটকাৰ লিখিলো বুলি কৈছিল কেনেকৈনো ন টকা হল চেঃ" বুলি দেওপাৰোতে সেই ছেগতে তেওঁ লিখা পঢ়া নিশিকাতহে এই দুৰ্দ্দশা এই কথা ভালকৈ বুজাই দিয়ক যাতে তেওঁৰ পো-নাতিক অন্ততঃ এনে অৱস্থাত নেপেলায়। প্ৰচাৰৰ কাৰ্য্যতকৈও শিক্ষিতসকলৰ ব্যক্তিগত জীৱনৰ আচৰণে আৰু বিশষকৈ কাম দিব। সমাজৰ দহজনে যদি দেখে অমুকৰ লৰাজন লিখা-পঢ়া শিকি বিনয়ী হৈছে, কাকো হেয় জ্ঞান নকৰে, ঘৰৰ কাম-বনলৈ পিঠি দিয়া নাই, শিক্ষাৰ পোহৰ নোপোৱা দদাই-ভতিজা, ভাই-ককাই, মাহী-পেহী, কাকো অমান্য নকৰে, এনে সৰবৰহী হৈয়ো শিক্ষাৰ বলত গাঁৱৰ এজন মুখীয়াল হৈ উঠিছে, দহটকা বেচিকৈ উপাৰ্জ্জণ কৰিছে আন আন উন্নত সম্প্ৰদায়ৰ লোকে তেওঁলোকক সন্মান কৰে, তেতিয়া স্বভাৱতে তেওঁলোকেও নিজৰ নহয় যদিও মনত অলপ নহয় অলপ শিক্ষালৈ ধাউতি বাঢ়িব। ইয়াকে কৰিলেই যে আপোনালোকৰ সমাজে প্ৰত্যেক লৰাটোক স্কুল পঢ়াশালিলৈ পঠাব সেই কথা মই ডাঠি কোৱা নাই, আৰু ক'বও নোৱাৰোঁ। আমাৰ দেশৰ মানুহৰ উৎসাহ আৰু ধানখেৰৰ জুইৰ সমান। তথাপি আশা কৰা যায় এইদৰে চালোতে জাৰোতে দুই চাৰিটা মানুহ নোলাই নেথাকে।

ডাঙৰীয়াসকল ! আপোনাসকলে আত্মোন্নতিৰ বাবে যিবিলাক উপায় লব খুজিছে সেই সকলো উপায় মিছা যদিহে সেই উন্নতি পথৰ কণ্টক স্বৰূপ কুসংস্কাৰবিলাক উঘালি দূৰলৈ পেলাই নিদিয়ে। এই কামো সহজ নহয়। সহজ নহয় কিয়, অতি দুঃসাধ্যই। তথাপি এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে সমাজত কুসংস্কাৰ যিমান বেছি সেই সমাজ সিমান পিছপৰা। কুসংস্কাৰক যিমানেই আঁকোৱালি নধৰক তথাপি সি কু-কুৎসিৎ। এইখিনিতে ক্বব পাৰি যে কুৎসিতৰ ইমান আদৰ কিয় ?

ইয়াৰ উত্তৰত ইমানকে কব খোজোঁ যে এই আলিঙ্গন প্ৰেমৰ নহয়, মোহৰ। মোহান্ধৰ পাত্ৰাপাত্ৰ জ্ঞান নেথাকে। ভাবি চাওকচোন, পূৰ্ব্বে কৈ অহাৰ দৰে যি সমাজত যি দেশত হাঁচি এটাই দহখোজ পিছলৈ নিয়াব পাৰে, বেৰৰ জেঠী এটাই টিক্‌টিকাই মোৰ ভাগ্যা-ভাগ্য ঠিক কৰিব পাৰে, যি দেশত ফেঁচা এটাই "নিউ" বুলিলেই গোটেই গাঁৱৰ বুকু কঁপে, যি দেশৰ বাৰীৰ বৰ ওখ গছ এডালত পৰি ৰাতি হুদুৱে মাতিলে আমে কঠালে, পাণে-তামোলে, বাহে-কাঠে মেট-মাৰি থকা তমস্কাৰ বাৰী ঘৰ পৈতৃক ভেটি খানি পেলাই স্থানান্তৰ হোৱা যায় সেই দেশৰ মানুহে কোনকালে দৈবৰ হাত সাৰি পুৰুষকাৰ দেখুৱাই জয় জয় ময় ময় হৈ চলিব ? আমাৰ দেশত প্ৰত্যেক সমাজ ইমানবিলাক কুসংস্কাৰত পোতখাই আছে যে সেই পলসৰ পৰা উলিওৱা কাম অতি সহজ নহয়। কিন্তু সেই বুলি চাই থাকিলেও নচলিব। পলসত লাহে লাহে ভৰি আৰু সোমাই হে যাব।

বন্ধুসকল! আপোনালোকে এই সন্মিলনৰ জৰীয়তে যিবিলাক কাম হাতত লবলৈ স্থিৰ কৰিছে তাৰ মূলতে অৰ্থবলৰ দৰ্কাৰ। ধনেই ধৰ্ম্মৰ ফল এই কথা বৰ্ত্তমান যুগৰ দৰে আৰু কোনোকালে সত্য নাছিল। আজিকালি খোজটোৱেপ্ৰতি টকাটো খৰচ নকৰিলে কাম নচলে। গোটখাই যি কামকে কৰো বুলি ভবা যায় টকা নহলে মনৰ কথা মনতে মাৰ যায় - তেহেলেই আপোনালোৰ ইচ্ছা যিমানেই প্ৰৱল হওক। হাতত বিত নহলে মনৰ পিতপিতনি পানীৰ বুৰবুৰণিৰ দৰে ক্ষন্তেক ভুমুকিয়াই মাৰ যায়। আপোনালোকে এই কাৰণে "যি মিলন ভঁৰাল" নাম দি এটা "ফণ্ড" স্থাপন কৰিবলৈ সন্মিলনৰ উদ্দেশ্যৰ ভিতৰৰ এটা বুলি ধৰিছে ই অতি সময়োপযোগী কথা। ৰাইজে নখ জোকাৰিলে নৈ বয় বুলি এটা কথা আছে সেই কথা সম্পূৰ্ণ সঁচা। বৰ্ত্তমান সভ্য জগতৰ সকলো অনুষ্ঠানৰ মূলতে অজস্ৰ অৰ্থবল। বিশেষ আমাৰ দুখীয়া দেশত দহে মিলি ১০্ টকা নোগোটালে পাবৰ আন উপায়ো নাই। ধৰক আপোনালোকে হাতত লব খোজা বুৰঞ্জীখন যুগুত কৰিলে। তাক ছপাই উলিৱাবলৈ এটা খৰচ আছে। এটা চোকা অথচ দুখীয়া লৰাই টকাৰ অভাৱত বি, এ, পৰীক্ষা দিবলৈ যাব নোৱাৰে। সমাজৰ চেষ্টাত এটা তেনে "ফণ্ড" থাকিলে সেই লৰাজন অনায়াসে বি, এ, পাছ কৰি আগলৈ ডাঙৰ কাম-কাজ এটা কৰি নিজৰ, সমাজৰ, আৰু দহৰো আকৌ কোনো উপকাৰ কৰিব পাৰে। হাতত ধন নেথাকিলে সকলো কথাতে মন কোঁচ খাই আহে। আমাৰ দেশত সভা সমিতিবিলাক নিটিকে কেৱল এই কাৰণতে। মোৰ সবিনয় নিবেদন যে আপোনালোকে এই "মিলন ভঁৰাল" পাতিছে তাত যাৰ যি শক্তি আৰু যি নিয়ম বান্ধি চাদাঁ দিবলৈ প্ৰতিশ্ৰুত হৈছে, সেই অনুসৰি যেন দুপয়চা দিয়ে। নহলে হাতত কণটোও নোহোৱাকৈ বৰসবাহলৈ মন মেলিলে কোনো লাভ নাই। তেনে বৰসবাহ পাতি ভকত গোটালে কেৱল অপমান দিয়া আৰু পোৱাৰহে কথা। আমি অবাবতে যিমান খৰচ কৰো তাৰ দহভাগৰ এভাগো এইবিলাক অনুষ্ঠানত দিলে একৰকম কাম চলে। ভাবি চাওক এই পূজা পৰ্ব্বৰ সময়ত একো ঠাইত গান বাজনাই কিমান টকা চোচে। যি ঠাইতে বায়োস্কোপ যাত্ৰা আদিক এহেজাৰ টকা একে ৰাতিত খৰচ হয়, সেই ঠাইতে দুখীয়া, সচ্চৰিত্ৰ, বুদ্ধিমান লৰা এটাক মাহে ৫ টকা দি পঢ়াবলৈ সহায় কৰোতা লোক নোলায়। এইটো ধনৰ অভাৱ নে মনৰ অভাৱ?

চুতীয়া বন্ধুসকল! আপোনালোকে আজি অধিকাৰ দিয়াত মোৰ মনে ধুকি পোৱা, অন্তৰে বিশ্বাস কৰা দুই-চাৰি কথা আপোনালোকৰ সন্মিলনৰ উদ্দেশ্য সম্বন্ধে কলোঁ। আপোনাসকলে সেই কথা ছাঁলি-জোকাৰি লব। মোৰ মত বুলি যেন কোনো কথা গ্ৰহণ নকৰে। এই মতত যদি কোনো যুক্তি আছে বুলি আপোনালোকৰ মনে ধৰে তেতিয়াহে তাক যেন ভাবি চায়। এতিয়া সাধাৰণভাৱে বৰ্ত্তমান সময়ত আমি সকলো সম্প্ৰদায়ে কি ভাৱে চলা উচিত মোৰ ক্ষুদ্ৰ বুদ্ধিৰে যিমানকণ বুজিছোঁ তাকে কৈ মোৰ



বক্তব্য শেষ কৰিবলৈ অনুমতি দিয়ে যেন। এই বিষয়েও যোৱা অধিৱেশনৰ সুযোগ্য সভাপতিয়ে খৰচিমাৰি বহুত কথা কৈ গৈছে। কাজেই এই ক্ষেত্ৰটো মোৰ পৰিশ্ৰম অনেকটা লাঘৱ হৈ আছে। সেইবাবে আমি তেখেতৰো শলাগ লওঁ। তথাপি আকৌ স্মৰণ কৰাই দিয়াৰ দৰে দু-আখাৰ ক'ব খোজোঁ।

বৰ্ত্তমান যুগ একৰকম সভাসমিতৰি যুগ। এই সভাসমিতিয়ে য়ুৰোপ আদি ঠাইত যিমান প্ৰৱলভাৱে কাম কৰিছে তাক আপোনাসকলে দেখিবই লাগিছে। তাত দলেই দল, সেই বুলি দলাদলি কৰি জাতীয় কাৰ্য্যত দক্ষ-যজ্ঞ নেপাতে।

নিজৰ ভিতৰত দল হিচাবে কাকো কোনেও নিজৰ হক এৰি নিদিয়ে। কিন্তু বাহিৰৰ আক্ৰমণ সমস্ত দলে এক হৈ বাধা দিয়ে। উন্নত জাতিৰ লক্ষণেই এই। বাঘৰ পোৱালীয়ে নিজৰ ভিতৰত জপিয়া-জপি কৰেই। সেইটো তেজ মঙহৰ গুণত। সেই বুলি জানো সেই কথাত ভেৰাই আশ পায়। 'Pen is mightier than sword.' তৰোৱালতকৈ কলমৰ জোৰ বেচি বুলি কোৱা আছে। এই কথা সঁচা। যদিও হৈ যোৱা য়ুৰোপৰ মহাসমৰলৈকে প্ৰত্যেক বলবান জাতিয়ে তৰোৱালৰ আগত নিজৰ দন্দ-খৰীয়াল শেহত মিমাংসা কৰিছিল যোৱা যুদ্ধত সকলোৱে ভালকৈ ঠেকেছা খাই এতিয়া Outlawry of war অৰ্থাৎ যুদ্ধৰ বিপক্ষে হুলিয়াজাৰি কৰি আইন সঙ্গত নহয় বুলি ঘোষণা কৰিবলৈ ওলাইছে। এই ভাব যদিও এতিয়া দুপতীয়া সময়ত সিপাই সি নিশ্চয় বৰ গছত পৰিণত হবগৈ। তাৰ ছাঁত সকলোৱে শান্তি পাব বুলি আশা কৰা যায়। কাজেই যি যুগত এতিয়া League of Nations সমন্বয়ী জাতিৰ সঙঘপাতি শ্লাঘা জাতিয়ে নিজৰ দাবী দাওৱা স্বত্ব সাব্যস্ত কৰিবলৈ কাছিপাৰি ওলাইছে সেই সময়ত সভাসমিতিৰ অন্তনিৰ্হিত বলৰ কথা আৰু কব লাগিছেনে? আপোনালোকে এই সন্মিলনৰ পৰিপূষ্টৰ বাবে অহো-পুৰোষাৰ্থ চেষ্টা কৰক। এইখিনিতে এষাৰ কথা কওঁ, বছৰেকৰ মূৰত এবাৰ এঠাইত গোটখাই কিছুমান প্ৰস্তাবাদি গ্ৰহণ কৰি ঘৰাঘৰি গলে ইয়াৰ কোনো ফল নধৰে। এই সন্মিলনত গোটখাই পৰস্পৰ মিলা-প্ৰীতিৰে যিবিলাক কথাৰ আলচ কৰে আৰু সেই মতে কাম কৰিবলৈ সংকল্প কৰি লয়, আশা কৰোঁ সেইদৰে যেন আপোনাসকলে নিজ নিজ ঠাইলৈ গৈ শাখা সমিতি আদি গঠন কৰি মূল আৰ্হি আগত লৈ কামত হাত দিয়ে নহলে গালো বালো খোলাকতিৰ তাল। শাখা-প্ৰশাখাৰ সুশোভিত নহলে গুৰি গছ কেৱল লঠঙ্গাই নহয় তাত সুৱদি ফল ধৰিবৰ ঠেৰু ক'ত? ভাতৃসকল। আপোনালোকৰ এই বৰগছৰ পুলিটি ৰুবৰ মাথোন বছেৰেক হৈ গৈছে। ইয়াত সাৰ জাবৰ দি বেঢ়িকুৰি সম্প্ৰতি অতি যতনেৰে ৰাখিব লাগিব, জানোছা গৰু-ছাগলীয়ে নষ্ট কৰে, সময়ত প্ৰতিপালিত হৈ যেতিয়া সি প্ৰকাণ্ড বিৰিখত পৰিণত হব তেতিয়া তাত বনৰীয়া হাতীয়ে গা ঘঁহালেও কোনো ভয় নাই, তাত বৰ গছৰ গুৰি নলৰে। সকলো কথা কেৱল সময় সাপেক্ষ। যোৱা বছৰ সন্মিলনত "আমাৰ সন্মিলন" বুলি যি প্ৰবন্ধ আপোনালোকৰ সুযোগ্য

জেনেৰেল চেক্ৰেটৰী সন্মিলনৰ নীৰৱ কৰ্ম্মী প্ৰাণস্বৰূপ উঠি অহা মোৰ অতি স্নেহৰ বন্ধু শ্ৰীযুত ভ্ৰমৰচন্দ্ৰ শইকীয়াই লিখিছিল তাত এই কথা বেচ্ আলচ কৰিছে। আপোনালোকৰ উদ্দেশ্য অতি সৰল, পোনপটি আৰু সময়ৰ সাঁচত ঢলা। এই সভা সমিতিৰ যুগত আপোনালোকৰ কাৰো লগত সংঘৰ্ষ নোহোৱা আৰু ঐকান্তিক ইচ্ছাৰে প্ৰতিস্থাপিত এই সন্মিলনৰ বলেৰে আপোনালোক যাতে আকৌ দোপত-দোপে উধাব পাৰে তাৰ নিমিত্তে চেষ্টা কৰক। এই চেষ্টাৰ বিষয়ে মই ইমানকে কব খোজোঁ যে সন্মিলিত চেষ্টাই সন্মিলনৰ আচল বল। এই বলেৰে বলীয়ান হবলৈ চেষ্টা কৰক, শত বাধা বিঘিনি পুৱাৰ কুঁৱলীৰ দৰে ৰদ পালেই মাৰ যাব। এই সন্মিলনৰ আশা-ভৰসা, বাধা-বিঘিনি, সন্দেহ প্ৰত্যয় বিষয়ে যোৱা সন্মিলনত আপোনালোকৰ সুযোগ্য সম্পাদকে অতি সুন্দৰকৈ ভাঙি-পাতি কৈছে। আত্মোন্নতি আপোনালোকৰ ঘাই উদ্দেশ্য। আত্মোন্নতি মানে আপোনালোকে এইটোকে বুজিছে যে সিঁচৰি হৈ ঠায়ে ঠায়ে পৰি থকা সকলো চুতীয়ালোক সকলো কামতে একেলগে হব লাগে। নিজৰ ভিতৰত বেলেগ বেলেগ খেল-মেল, ডাঙৰ-সৰু এইবিলাক অবাঞ্ছনীয় তৰ্ক লৈ সম্প্ৰদায়ৰ মূৰ ঘোলা নকৰি বৰ্ত্তমান জগতৰ নতুন নতুন নৈতিক, মানসিক, আৰ্থিক, সামাজিক কথাত মগজ খটাব লাগে। আত্মোন্নতি মানে আপোনালোকে এইটোকে বুজিছে যে জ্ঞানৰ পোহৰ, অৰ্থৰ বল, নীতিপৰায়ণতা এইকেইটা উন্নতিৰ প্ৰধান সম্বল। প্ৰথমতে আমি সকলো সম্প্ৰদায়ে আত্মোন্নতিৰ গায়ত্ৰী মন্ত্ৰ 'নহি আত্মানং বলহীনেন লভ্যঃ' নিৰ্ব্বলীৰ আত্মা নাই অৰ্থাৎ soulless life এই সত্য অনুভৱ কৰিব লাগিব। যদি আত্মাই নেথাকে জগতত আত্মীয় বুলিবলৈ আৰু কিবা থাকিল জানো? এই কাৰণেই শাস্ত্ৰৰ আদেশ 'আত্মানং সততং ৰক্ষেৎ'। সদায় নিজক ৰক্ষা কৰিবা।

ইয়াত ব'ল মানে পাশবিক বল নহয় বা কেৱল শাৰীৰিক বলকে নুবুজে যেন। অমূক মানুহজন বুকুবলী তেওঁৰ মনৰ বল বৰ বেচি, এওঁৰ ইচ্ছাশক্তি বল প্ৰবল ইত্যাদি যিবিলাক বেলেগ বেলেগ কথা আমি কও সেয়ে প্ৰমাণ কৰে যে বল বোলা বস্তুটোৰ মৌলিক অৰ্থ কি? বলী সমাজৰ দুই চাৰিটা দোষ থাকিলেও মানুহৰ চকুত নপৰে। বাঘৰ টিকাৰ ফাঁপৰ ডোখৰলৈ কাৰবাৰ চকু যায় জানো? কিন্তু কুকুৰ এটাৰ গাত অলপ ফাঁপৰৰ গোন্ধ পালেই ছেই ছেই। সেই কাৰণেই শাস্ত্ৰয়ো কৈছে বীৰ্য্য বলৰ দোষ নাই। যথাৰ্থতে আমি কি দেখোঁ। বীৰ্য্যশালী জাতিয়ে যি কাম কৰে তাক সকলোৱে অনুকৰণ কৰিব খোজেঁ। এই পৰশমণি জাতিয়ে যিহকে ছোৱে সেয়ে সোণ হয়। এনে আত্মবল লভিবলৈ আমি সকলোৱে চেষ্টা কৰিব লাগিব। এই আত্মবলেই জাতীয় জীৱনৰ মাপ-কাঠি। সাধাৰণ ভাবে মই ইয়াকে কব খোজোঁ যে আমি চেলোৱা, আমি নিঠৰুৱা আমি সকলোৰে ছেই ছেই; আমক অমুকে ঘিনাই, আমাক তমুকে ইতিকিং কৰে এইবিলাক আত শুকোৱাৰ কথালৈ আমি পিঠি দিব লাগিব। মোক এৰিলে ঈশ্বৰৰ সৃষ্টিৰ এধানমান হলেও যে



অলপ ঠাই উদং হব তাত তেওঁৰ সৃষ্টিৰ বৈচিত্ৰৰ অলপ নহয় অলপ সৌন্দৰ্য নষ্ট হব এই ধ্ৰুৱ সত্যত আস্থা ৰাখি চলক, দেখিব হৃদয়ত আত্মাৰাম ভাৱ আপোনা আপুনি উপজিব, মৃগনাভিৰ দৰে নিজৰ গোন্ধ নিজে পাই উৎফুল্ল হৈ অবাধ গতিত ফুৰিব পাৰিব। জীৱন সংগ্ৰাম নিজ বাহু বলে কৰিব লাগিব তেনে জয়ৰ আশা থাকে। ভাড়াকৈ অনা চিপাহীৰে যুঁজ কৰা নচলে। পৰৰ বাহুৰে সাতোঁৰি নৈ পাৰ হোৱা বাতুলতা মাথোন। এই কাৰণেই শাস্ত্ৰই কৈছে বলং বলং বাহুবলম্। নিজৰ বাহুবলৰ সমান কোনো বল হব নোৱাৰে।

দ্বিতীয়তে আত্মজ্ঞানৰ দৰকাৰ। নিজৰ বিষয়ে নিজে নেজানিলে কোনে মোৰ সাত পুৰুষৰ বাতৰি দিব। জ্ঞানৰ পোহৰত মোৰ গন্তব্য পথ ফটফটীয়াকৈ নেদেখিলে বাটৰ হুলজোঙে মোক অচল কৰি পেলাই থ'ব পাৰে। নিজৰ সম্বন্ধে মানুহে যিমান দূৰ জানিবলৈ চেষ্টা কৰে, নিজৰ অভাৱ কত, অভিযোগ কত, এইবিলাক বিচাৰ কৰিবলৈ মানুহে যিমানেই শিকে সিমানেই নিজৰ অপায়-অমঙ্গল দূৰ কৰিবলৈ মূৰ পায়। লুইতৰ বুকুত বহা বঠাৰ পৰিমাণ লুইতেহে সঠিক কব পাৰে। প্ৰত্যেক সমাজৰ, প্ৰত্যেক সম্প্ৰদায়ৰ নিজৰ কিছু বিশেষত্ব থাকে সেই বিশেষত্ব বিলাক যাতে তেওঁলোকৰ উন্নতিৰ পথত হেঙ্গাৰ নহৈ সিংহদুৱাৰ হয় তাৰ বাবে দিনে-ৰাতিয়ে চিন্তা কৰি চোৱা উচিত।

শেহত কওঁ, সকলো প্ৰকাৰ উন্নতি সুশৃঙ্খলভাৱে কৰিবলৈ হলে আত্মসংযমৰ দৰকাৰ। ঈশ্বৰ সেৱাৰ প্ৰথম কাম হৈছে শুচি সংযমী হোৱা। পবিত্ৰভাব, সংযতচিত, এই দুইটাই পৃথিৱাৰী সকলো কামতে দৰকাৰ। এই দুটা বস্তুৰ অভাৱ হলে বতাহ ধুমুহাৰ দৰে এফালে হিমালয় ভাঙি যাব পাৰি, কিন্তু তাত মলয়াৰ বতাহ পোৱা নেযায়। আমি কাৰ্য্যত দেখিবলৈ পাইছোঁ সংযমী জাতিয়েই পৃথিৱীৰ ভোগ কৰিছে। মানুহত পশু আৰু দেৱতাৰ দুয়োটা ভাৱ আছে। সেই কাৰণেই মানৱ সৃষ্টি অতি ৰহস্যময়। এই ৰহস্যভেদ কৰাই মানুহৰ চৰম উদ্দেশ্য। সংযমী মানুহৰ- শাৰীৰিক, মানসিক, আধ্যাত্মিক, সকলো ৰকম সৌন্দৰ্য্য বাঢ়ে। সকলো ৰকম বিভূতিয়ে তেওঁলোকত ঠাই লয়। Discipline শৃংখলা বোলা কথাটো আমাৰ ভিতৰত কম। যাতে সংযত ভাৱে কায়মনোবাক্যে সকলো কাম কৰিব পাৰোঁ তাৰ নিমিত্তে সদায় যত্নবান হব লাগিব।

বন্ধুসকল, সৰ্বশেহত এষাৰ কথা কৈ বিদায় মাগিব খুজিছোঁ। আপোনাসকল আজি বহুত কথাত পিচ পৰা। সেই বুলি আপোনাসকলে যেন আক্ষেপ নকৰি দুগুণ বেগেৰে আগবাঢ়িবলৈ চেষ্টা কৰে। অৱশ্যে কতো যেন উজুতি নেখায়, সেই কথা মনত ৰাখিব। আন আন উন্নত সম্প্ৰদায়ে যিবিলাক উপায় অৱলম্বন কৰি আত্মোন্নতি কৰিছে সেই সেই উপায় আপোনাসকলেও গ্ৰহণ কৰক। জ্ঞান-বিজ্ঞানৰ বলেৰে বৰ্ত্তমান জগত বলী। এই জ্ঞান আৰু বৈজ্ঞানিক সত্য গ্ৰহণ কৰিবলৈ কেতিয়াও যেন পৰাঙ্মুখ নহয়। গতিশীল জগতৰ গতি কেৱেঁ বাধা দিব নোৱাৰে। সেই কাৰণে কোনো কথাত নিশ্চল হৈ যেন নেথাকে। পুৰণি নতুনৰ সদায় সামঞ্জস্য ৰাখি নিজৰ শ্ৰীসম্পদ আৰু বঢ়োৱাই সভ্যজগতৰ কাম। পুৰণি ভেঁটি অঁটাই-পিতাই নতুন Fashion ৰ ধৰণেৰে বৰ্ত্তমান সময়ত

চকু ৰোৱাকৈ ঘৰ সাজিব লাগিব। অতীত সদায় অতীত। তাক ওলটাই আনিবলৈ গলে নিজেও ওভটি অহা টান। মই দেহেকেহে মোৰ জন্মভূমিৰ সকলো সম্প্ৰদায়ৰ শুভ কামনা কৰোঁ। সকলো সম্প্ৰদায়ক মই সন্মান কৰো। বন্ধুভাৱে আপোনাসকলক এযাৰ কথা কওঁ যে আজিৰ দিনত শিক্ষিত বুলি পৃথিৱীত যি এটা জাত সেই জাতত উঠিবলৈ অহোপুৰুষাৰ্থ কৰক বাকীবিলাক আপোনা আপুনি হব। আজি আপোনাসকলক কোন কোন জাতৰ তল বা ওপৰ বুলি হাওলা গছত বাগী কুঠাৰ মাৰিব খোজে তাত একো কথা নাই। মই নিঃসন্দেহে এযাৰ কথা কব পাৰো যে আজি আসামত শুদ্ধ কোনো জাতি নাই। আৰ্য্য অনাৰ্য্য জাতিৰ সংমিশ্ৰনত এই অপৰূপ আজিৰ অসমীয়া জাতি গঠিত। আন সময়ত মই কৈ অহাৰ দৰে এই শাল-সিঙ্গৰি পাৰনেজীয়া খাজখুৱাই থোৱা (Dovetailed) অসমীয়া সমাজ বৰ খুটাটো বতাহ ধুমুহাই যিমান দিনলৈকে ভাঙিব নোৱাৰে শাল-সিঙ্গৰি কি কাঠ ইয়াত সোমাই আছে তাৰ বিচাৰ আমাৰ দৰকাৰ নাই।

ৰাইজসকল! প্ৰতি পলে পলে আগবাঢ়ক। পিছ নুহুহকিব। এয়ে বৰ্ত্তমান যুগৰ বাণী। চুতীয়া ভাতৃসকল, উপস্থিত ভদ্ৰমণ্ডলী! ইমানপৰ আপোনাসকলক এইবিলাক কথা কৈ আমনি দিয়াৰ বাবে ক্ষমা কৰে যেন। আপোনাসকলৰ আদৰ সমাদৰৰ জোখাৰে মোৰ যোগ্যতা থকা হলে নিজকে ধন্য মানিলোহেঁতেন। প্ৰতিনিধিসকলক মোৰ এয়ে নিবেদন যেন তেওঁলোকে এই সন্মিলনৰৰ বাতৰি গাঁৱে-ভূইয়ে প্ৰচাৰ কৰি কামে কাজে লাগি যায়। শুভকাৰ্য্যত অনেক বিঘিনি এই স্বাভাৱিক কথাটো যেন নেপাহৰে। পৰস্পৰৰ মিলনত এই জগন্নাথ ক্ষেত্ৰত সতীৰ্থ হৈ ঘৰাঘৰি গৈ যেন এই পূণ্যযাত্ৰাৰ প্ৰসাদ সকলোৰে মুখতে অলপ অচৰপ যাচেগৈ। মনত ৰাখে যেন নিজৰ উন্নতি হলেই জাতীয় উন্নতি হব। নিজত বিশ্বাস, পৰত প্ৰীতি, জ্ঞাতিত আস্থা, জাতিলৈ প্ৰেম লৈ আগবাঢ়ক আপোনাসকলৰ এই সাম্প্ৰদায়িক চেষ্টাই গোটেই অসমীয়া জাতিৰ অঙ্গ সৌষ্ঠৱ বঢ়াবহে; শ্ৰীহানি নকৰে।

হে করুণাময় পৰমেশ্বৰ! তোমাৰ করুণাবিন্দু পালে এই আত্মোন্নতিপ্ৰয়াসী সম্প্ৰদায়ৰ উন্নতি লাভ কিমান দিনৰ কথা। এই সন্মিলনৰ সৰ্ব্বতোভাৱে যেন মঙ্গল হয় তোমাৰ চৰণত তুতি-নতি।

মহাপুৰুষ শঙ্কৰৰ দেশত যেন আজি আমি সকলো সম্প্ৰদায়ে সন্মিলিত হৈ আসাম মাতৃৰ সেৱা কৰিব পাৰোঁ। যিজন মহাপুৰুষে এই দেশত হৰিনামৰ পাৰ ভাঙ্গি দি সকলোকে প্লাবিত কৰিলে সেই সাম্যবাদৰ পতাকা লৈ যেন আমি মাতৃ-মন্দিৰত প্ৰবেশ কৰিব পাৰোঁ। এই আশীৰ্ব্বাদ সেই সৰ্ব্বগুণাকৰ পৰম গুৰুৰ চৰণত ভিক্ষা কৰোঁ। শঙ্কৰ প্ৰতিভাৰ আজি আসাম দেশত জয় হওক! এই সন্মিলনৰ শুভ হওক এয়ে মোৰ শেষ ক্ষীণ বাণী।

ভাতৃসকল! মোৰ অজ্ঞানকৃত সকলো দোষ যেন ক্ষমা কৰে।

(উৎস ঃ আসাম চুতীয়া সন্মিলন, দ্বিতীয় অধিবেশনৰ কাৰ্যবিৱৰণী, ১৯২৭ খ্ৰীঃ)



## পৰিশিষ্ট ঞ

সদৌ অসম চুটিয়া সন্মিলন (৪ৰ্থ অধিবেশন, শিৱসাগৰ, ১৯৩০ চন)

## সভাপতি সৰ্বেশ্বৰ শৰ্মা কটকী ডাঙৰীয়াৰ অভিভাষণ

প্ৰতিনিধিসকল আৰু সমজুৱাসকল,

জয়জয়তে মোৰ শ্ৰদ্ধা গ্ৰহণ কৰিব। ১৮৫২ শকাব্দৰ প্ৰাৰম্ভণ, প্ৰথম সপ্তাহ, গতিকে বিহুৰো ওলগ গ্ৰহণ কৰিব। চুটিয়া সন্মিলনৰ সভাপতিৰ আসনৰ নিমিত্তে মই সম্পূৰ্ণ অনুপযুক্ত। যি আসনত খ্যাতনামা সাহিত্যিক শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, ৰায়চাহাব গোলাপচন্দ্ৰ বৰুৱা, শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়া প্ৰভৃতি বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ লোককেৰে অলঙ্কৃত হৈ গৈছে সেই আসন মোৰ নিচিনা অভাজনৰ পক্ষে যোগ্য নহয়। ছাত্ৰাৱস্থাৰেপৰা দেশত যিবোৰ সভা-সমিতিৰ অনুষ্ঠান হৈছে সেইবোৰত পৰাপক্ষত যোগ দি আছো আৰু দেহে-কেহে সভা-সমিতিৰ যোগেৰে মাতৃভাষাৰ চৰ্চা আৰু মাতৃভূমিৰ উদ্‌গতিৰ অৰ্থে কদাপি পৰাঙ্মুখ হোৱা নাই। সভা-সমিতিত উপস্থিত থকা জীৱনৰ যেন চিৰ-অভ্যাস হৈ গৈছে, সেইগুণে আপোনালোকৰ আহ্বান বিমুখ কৰিবৰ মোৰ সাহ নহ'ল। ইপিনে গ্ৰহণ নকৰিলে, জানোচা ৰাইজৰ কোপত পৰো এনে আশঙ্কা কৰিও মোৰ সকলো দুৰ্বলতা কাটি কৰি থৈ আজিৰ এই সন্মিলনত উপস্থিত হৈছোহি। এনে শুভ অনুষ্ঠানত উপস্থিত হ'ব পাৰি নিজক সৌভাগ্যবান ভাবিছো আৰু সৰ্বনিয়ন্তা ভগৱন্তৰ ওচৰত শত শতবাৰ মূৰ দোঁৱাইছো। কিন্তু এইটো নিশ্চয় জানিব যে এই অভাজন সকলোপিনে আপোনালোকৰ মৰম আৰু অনুগ্ৰহ ভিক্ষাৰী।

ৰাইজসকল, আজি আমি এই বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ নগৰত উপস্থিত। চুটিয়া জাতিৰ বিস্তাৰিত ইতিবৃত্তৰে মই আপোনালোকক আমনি নিদিওঁ। আজি প্ৰভৃতি এই জাতিৰ আঁতি-গুৰি সম্বন্ধে যিবোৰ আলোচনা হৈছে সেইবোৰৰ অতি সংক্ষিপ্ত আভাস দিম মাথোন।

(১) ১৮৫০ খ্ৰীষ্টাব্দত "অৰুণোদয়" নামেৰে অসমৰ প্ৰথম আলোচনীত চুটিয়া বুৰঞ্জী নামৰ প্ৰবন্ধত প্ৰকাশ যে ১১১১ শকাব্দত ভীষ্মক ৰজাৰ বংশৰ বীৰপাল নামে এজন মানুহ আছিল। তেওঁ ৬০ (তিনিকুৰি) চুটিয়া পৰিয়াল লগত লৈ সোণগিৰিত গয়াপাল নাম লৈ বসতি কৰিছিল।

(২) শ্ৰীশঙ্কৰদেৱ বিৰচিত শ্ৰীমদ্ভাগৱতৰ ৰুক্মিণীহৰণ আখ্যানত আৰু সূৰ্যখৰি দৈৱজ্ঞ বিৰচিত দৰং-ৰাজবংশাৱলীত ভীষ্মক ৰজাৰ উল্লেখ আছে।

(৩) অসমীয়াৰ বুৰঞ্জীলিখক মহামতি গেইট চাহাবে কয় যে চুটিয়াবিলাকৰ বহুতবোৰ কিম্বদন্তী আছে আৰু আটাইবিলাকে সিবিলাকক সদিয়াৰ বা বিদৰ্ভৰ হিন্দুবংশ সম্ভূত বুলি কয়। ('The Chutias have numerous traditions, all of which paint to their having followed a Hindu dynasty in Sadiya or Vidarbha.' - page 41, 2nd edition, Gait's History of Assam.)

(৪) Waddell চাহাবে The Tribes of the Brahmaputra Valley প্ৰবন্ধত কয় যে তেৰ শতিকাৰ আহোমসকলৰ আগমনৰ সময়ত চুটিয়া নামেৰে এজাতি হিন্দু জাতিয়ে উজনি অসম উপত্যকাত বাস কৰিছিল। (A semi-Hinduised tribe of the upper valley of Assam in the 13th century of the time of Ahom invasion - (page 42, No. 1, J.A.S., 1900)

(৫) মেজৰ হেনে চাহাবে ১৮৪৮ খ্ৰীষ্টাব্দত এচিয়াটিক্ ছোচাইটিৰ পত্ৰিকাৰ জুনৰ সংখ্যাত ৪৬৮ পৃষ্ঠাত লিখি গৈছে যে চুটিয়াবিলাক (সিবিলাকৰ নিজৰ প্ৰবাদ মতে) প্ৰাচীন কামৰূপৰ আদি ক্ষত্ৰিয় জাতিৰ সন্ততি। ক্ষত্ৰিয় শব্দ 'চত্ৰিয়' ৰূপে আৰু চত্ৰিয়ৰপৰা চুতীয়া শব্দ বাহিৰ হোৱা সম্ভৱপৰ। আৰু লিখিছে যে আহোম অহাৰ আগেয়ে কেৱল চুটিয়া ভাষাই একমাত্ৰ লিখিত ভাষা আছিল।

(৬) চুটিয়া সন্মিলনৰ দ্বাৰা প্ৰকাশিত খুদমান পুস্তিকাৰ পঞ্চম পৃষ্ঠাত উল্লেখ আছে যে ভাৰতবৰ্ষৰ উত্তৰে থকা তিব্বত দেশত "স্বতী" নামেৰে সৰোবৰ আছে। পোন প্ৰথমতে চুটিয়া জাতিৰ মানুহ এই দেশলৈ তাৰপৰা আহিছিল। গতিকে এই জাতিৰ সেই নাম। শ্ৰীযুত ভ্ৰমৰচন্দ্ৰ শইকীয়াই লিখিছে যে চুটিয়াবিলাক আমাৰ ৰাজবংশী মানুহ।

(৭) কৰ্ণেল Dalton চাহাবৰ মতে চুটিয়াসকলৰ আদি বাসস্থান সোৱণশিৰী নৈৰ উৎপত্তি স্থানত অথবা পৰ্বতৰ ওপৰত সোৱণশিৰী নৈৰ দাঁতিত আছিল।

(৮) এই সন্মিলনৰ প্ৰথম সভাপতি শ্ৰীযুক্ত ৰজনীকান্ত বৰদলৈয়ে নানা যুক্তি দেখুৱাই আৰু নানা অযুক্তি খণ্ডন কৰি তেখেতৰ বহুমূলীয়া অভিভাষণত এইবুলি প্ৰকাশ কৰে "সেই দেখি মই এতিয়াও ধৰি থৈছো যে সদিয়াই ভীষ্মক নগৰ আৰু চুটিয়াসকলেই সেই ভীষ্মকৰ বংশৰ বা দিনৰ ক্ষত্ৰিয় জাতি।"

(৯) দ্বিতীয় সন্মিলনৰ সভাপতি শ্ৰীযুত নীলমণি ফুকনে কয়, "আমি জানো চুটিয়া জাতি এসময়ত আসামত এটা প্ৰবল জাতি আছিল। চুটিয়া ৰাজদণ্ডৰ ওপৰত সকলোৰে মূৰ দোৱাইছিল।"

(১০) তৃতীয় সন্মিলনৰ সভাপতি ৰায়চাহাব গোলাপ বৰুৱাই বহুমূলীয়া নানা যুক্তি দি কৈ গৈছে, "ভীষ্মক ৰজাৰ বংশৰপৰা চুটিয়া ৰজাসকল হোৱা আৰু চুটিয়া জাতিটো সেই একে জাতিৰ বুলি ক'লে বুৰঞ্জীৰ একো ক্ষতি নহয় আৰু সমাজৰো একো হানি হোৱাৰ সম্ভৱ নাই।"



(১১) ৰায়চাহাব পদ্মনাথ গোহাঞিবৰুৱাই তেখেতৰ সংবৰ্দ্ধিত ১৮৫০ শকাব্দত প্ৰকাশিত বুৰঞ্জীত উল্লেখ কৰিছে যে চুটিয়াবিলাকৰ আদি বসতিস্থান লক্ষীমপুৰ জিলাৰ অন্তৰ্গত সোণগিৰি বা বিদৰ্ভ নগৰ বা কুণ্ডিলা চহৰ। সোণগিৰিৰ নামনিত ভীষ্মক ৰজাৰ বংশৰ নিচেই টোকোনা পৰিয়ালৰ বীৰবল নামৰ মানুহ এজনেই পৰিয়ালৰ মূল গৃহস্থ।

(১২) কলিকতাৰপৰা প্ৰকাশিত "আৱাহন" কাকতৰ ৪ৰ্থ সংখ্যাত শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতিৰ লিখিত প্ৰবন্ধত আছে যে "ভীষ্মক আৰু শ্বেতৰ বংশধৰ চুটিয়াসকলে ক্ষত্ৰিয় বুলিয়েই গোসাঁনী পূজা কৰিছিল।" আমি সেই বিষয়ে সন্ধান কৰি দিয়া পত্ৰৰ উত্তৰত অনুগ্ৰহকৈ আমাক লিখি জনাইছে যে "ভীষ্মক ৰজাৰ বহুত দিনৰ আগৰেপৰা চুটিয়াসকলক সভ্য বুলিব লাগে।"

(১৩) সুপ্ৰসিদ্ধ সাহিত্যিকপ্ৰবৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন ডাঙৰীয়াই আমি লিখা চিঠিৰ উত্তৰত অনুগ্ৰহকৈ জনাইছে যে "চুটিয়া অসমৰ বৰ পুৰণি জাতি। ইং ১২২৩ চনৰপৰা চুটিয়াৰ ইতিহাস পোৱা যায়। তেওঁলোকৰ সভ্যতা সেই অনুসৰি পুৰণি। সদিয়াত তেওঁলোকে তামৰ মন্দিৰ সাজিছিল। আদিম দেউৰী জাতিৰ বৰ্তমান আচাৰ-ব্যৱহাৰৰপৰাও জনা যায় যে তেওঁলোকে অতীজৰ ভাৰতৰ অন্যান্য বহুত আদিম অধিবাসীতকৈ বহুত গুণে উন্নত আছিল।"

(১৪) স্বনামপ্ৰসিদ্ধ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই (আমি লিখা চিঠিৰ উত্তৰত) অনুগ্ৰহকৈ জনাইছে যে "অসমত চুটিয়া জাতি অতীজ কালৰ। ভীষ্মক ৰজা চুটিয়া জাতিয়। এইটো পুৰণি কালৰে চলি অহা প্ৰবাদ। তেওঁৰ ৰাজধানী কুণ্ডিল। অসমত আজি-কালিৰ অনেকে তাক ভাৰতৰ আন ঠাইত পেলায়। ভীষ্মকক চুটিয়া বোলাত তেওঁক যে ক্ষত্ৰিয় বোলা হোৱা নাই এনে বুজিলে ভুল হ'ব। ভাৰতৰ প্ৰায় যুঁজাৰু জাতি মাত্ৰকে ক্ষত্ৰিয়। চন্দ্ৰবংশীয় শ্বেত ৰজাৰপৰা শ্বেতীয়া - তাৰপৰা সম্ভৱত চুটিয়া শব্দ। শিশুপালক চেদিৰাজ বুলিছিল, তেওঁৰ পুৰুষ চেদিয়ে স্থাপন কৰা ৰাজ্য আৰু বংশক চৈদ্য বোলা হৈছিল। চেদিদেশ ভীষ্মকৰ দেশৰ ওচৰা-ওচৰি, সেইদেখি চেদিৰাজ শিশুপালক ভীষ্মকৰ পুতেক ৰুক্মবীৰে ভনীয়েকক দিব খুজিছিল কাৰণে সেই ওচৰ-চুবুৰীয়া ৰজাক তেওঁ ভালকৈ জানিছিল আৰু তেওঁৰে সৈতে বন্ধুতা আছিল। চৈদ্যৰপৰা সদিয়া হোৱাটো অসম্ভৱ নহয়। চুটিয়াৰপৰাও হ'ব পাৰে। অৱশ্যে এইবোৰ অধিক ভাগ অনুমানৰ কথা। ইয়াৰ ওপৰত dogmatism নচলে। একালত চুটিয়া ৰাজ্য বৰ পৰাক্ৰমী ৰাজ্য আছিল। আজি-কালি যাক অসম বোলে তাৰে ভিতৰতে সেই ৰাজ্যৰ ৰজাসকলৰ ক্ষমতা সীমাবদ্ধ আছিল। সুবিস্তৃত নাগপুৰ ৰাজ্যৰ পূৱফালে এছোৱা চুটিয়াৰ তলতীয়া হৈ সেইছোৱাই চুটিয়া নাগপুৰ আৰু আজি-কালিৰ ছোটনাগপুৰ নাম পাইছে। কালক্ৰমত চুটিয়াৰ হীনাৱস্থাত আন আন নকৈ উঠা প্ৰবল জাতিৰ অধীনলৈ আহি আৰু শেহত finally আহোমৰ দ্বাৰাই পৰাজিত হৈ নিজৰ অস্তিত্ব প্ৰায় বিলোপ কৰে। যিবোৰ চুটিয়া আহোম

আছিল আৰু সেইবাবেই ইয়াৰ নাম তাম্ৰেশ্বৰী মন্দিৰ হ'ল বুলি জনশ্ৰুতি আছে। কিন্তু তামৰ কোনো চিন দেখা নগ'ল। দেৱালৰ শিলবিলাক জোৰা লগোৱা শলখাবোৰ লোহাৰ আছিল। মন্দিৰটোত য'তদূৰ সম্ভৱ তাম্ৰেশ্বৰী বোলা দুৰ্গাৰ মূৰ্ত্তিকে স্থাপন কৰা হৈছিল আৰু সেই নামটোৰপৰাই মন্দিৰটোৰ চালখনো তামৰ আছিল বুলি এটা কাহিনীৰ সৃষ্টি হ'ল। এতিয়া ঠাইটুকুৰাক তামাশ্বৰী বুলি কয়। তামাশ্বৰীকে তাম্ৰেশ্বৰী বুলি সংস্কৃতকৰণ কৰা হৈছে।'[১৪৫] তাম্ৰেশ্বৰী গোসাঁনীৰ মন্দিৰৰ ওপৰত দিয়া টি. ব্লকৰ এই মন্তব্য গ্ৰহণযোগ্য নহয়। **চাংৰুং ফুকনৰ বুৰঞ্জী**ত এই মন্দিৰৰ ওপৰত তাম-পাত দিয়া বুলি উল্লেখ আছে।[১৪৬] ১৮৪৬ খ্ৰীঃত কেপ্তেইন ভেট্‌চে তামৰ চালখন মাটিত পৰি থকা দেখা পাইছিল। গতিকে তামৰ চালৰ বাবে তাম্ৰেশ্বৰী মন্দিৰ নামকৰণ হোৱাটো জনশ্ৰুতি নহয়। ইয়াৰ বিগ্ৰহ লম্বোদৰা ক'লা আৰু একজটা।

ব্লকে যেতিয়া মন্দিৰটো পৰিদৰ্শন কৰিছিল তেতিয়া তাত ভগা-চিগা শিলৰ দ'ম আৰু দেৱালখনৰ কিছু অংশৰ বাহিৰে একো নাছিল। ভগ্নাৱশেষৰ মাজৰ তেওঁ এটা চৌকাঠ, শিৱৰ মূৰ্তি থকা দুৱাৰৰ খুটা আৰু তিনিটা মূৰ্তি পাইছিল। তাৰে প্ৰথমটো মূৰ্তি সূৰ্যৰ, দ্বিতীয়টো শিৱৰ বুকুত নৃত্যৰতা কালীৰ আৰু তৃতীয়টো য'তদূৰ সম্ভৱ সৰস্বতীৰ। তেওঁ যোল্ল ছটা চিত্ৰাংকিত খাপৰি ইটা উদ্ধাৰ কৰিছিল। এই চিত্ৰ বিলাকৰ ভিতৰত আছিল মানুহ, জন্তু, চৰাই, ফুল আৰু জ্যামিতিক আকাৰৰ চিহ্ন। ইয়াত পোৱা ইটাবিলাক ডিমাপুৰৰ ইটাৰ সৈতে একেই।[১৪৭] মন্দিৰটোৰ দেৱালত খোদিত ফলি অনুসৰি এই দেৱাল ১৪৪২ খ্ৰীঃত মুক্তাধৰ্মনাৰায়ণে বন্ধাইছিল।[১৪৮] ১৯৫৬ চনত ভাৰতৰ পুৰাতত্ত্ব বিভাগৰ বিষয়া দেৱলা মিত্ৰই এই মন্দিৰৰ ভগ্নাৱশেষ পৰিদৰ্শন কৰি মন্তব্য দিছিল যে এই মন্দিৰটো প্ৰকৃততে চতুৰায়তন অৰ্থাৎ চাৰিটা পীঠৰ সমষ্টি আছিল আৰু বালিশিল আৰু গ্ৰেনাইটেৰে সৈতে এই মন্দিৰ নিৰ্মাণ কৰোৱা হৈছিল। ইয়াৰ চাৰিওফালৰ ইটাৰ বেৰ চাৰিফুট বহল আৰু আঠফুট ওখ আছিল আৰু এই বেৰাৰ পূব দিশত এখন শিলৰ তোৰণ আছিল।[১৪৯] ২০০৪ চনৰ ডিচেম্বৰ মাহত আমি যেতিয়া এই মন্দিৰৰ ভগ্নাৱশেষ পৰিদৰ্শন কৰিবলৈ গৈছিলো তেতিয়া তাত একো দেখা পোৱা নগ'ল। স্থানীয় মানুহৰপৰা জানিব পাৰিলো যে ১৯৫০ চনৰ ভূমিকম্প আৰু তাৰপিছত হোৱা প্ৰবল বানপানীত সকলো ভগ্নাৱশেষ উটি গ'ল। প্ৰকৃতিৰ নিষ্ঠুৰ আঘাতত কেতিয়াবা মানুহৰ শিল্প-ভাস্কৰ্য্য কেনেকৈয়ে ধ্বংস হৈ যায় তাৰ এটি প্ৰমাণ এই তাম্ৰেশ্বৰী মাইৰ মন্দিৰ।

---

১৪৫ T. Bloch, Annual Report of the Archaeological Survey of India 1904-05, cited in Gazetteer of India, Arunachal Pradesh, Lohit District, p.35.
১৪৬ উদ্ধৃতি, জীৱকান্ত গগৈ, 'চুতীয়া জাতি' সোণগিৰি, পৃঃ৭৮
১৪৭ T. Bloch, *loc. cit.*
১৪৮ D.C. Sircar, 'Paya Tamreswari (Dikkaravasini) Temple Inscription, *loc. cit.*
১৪৯ Raikar & Chatterjee, op.cit.,p.19.



পায়া নদীৰ বাওঁপাৰে তাম্ৰেশ্বৰী মন্দিৰৰপৰা প্ৰায় ১ কিঃমিঃ দূৰত্বত এটা শিৱ মন্দিৰৰ ভগ্নাৱশেষ দেখা পোৱা যায়। ইয়াত এটা সময়ত গ্ৰেনাইটেৰে নিৰ্মিত ১.০৬ মিটাৰ উচ্চতাৰ এটা বিশাল শিৱলিঙ্গ আছিল। এই লিঙ্গ ০.৯১৫ মিটাৰৰ এটা গোটা ঘনবৰ্গক্ষেত্ৰৰ ওপৰত প্ৰতিষ্ঠিত আছিল। ১৯৬৫-৬৬ চনত এই শিৱলিঙ্গ তেজুলৈ স্থানান্তৰিত কৰি তাত এটা মন্দিৰত প্ৰতিষ্ঠা কৰা হয়। আগৰ যি ঠাইত মন্দিৰটো আছিল সেই মন্দিৰ বৰ্তমান ইমান ভগ্নাৱস্থাত আছে যে তাৰপৰা ইয়াৰ নিৰ্মাণশৈলী সম্পৰ্কে একো ধাৰণা কৰিব নোৱাৰি। মাত্ৰ এটা কথা মনকৰিবলগীয়া যে ইয়াত বহুত ডাঙৰ আয়তনৰ ইটা ব্যৱহাৰ কৰা হৈছিল। তেনে এচটা ইটাৰ জোখ ৩৮.১০x৩৮.১০x৭.৬ ছেঃমিঃ। আনহাতে, ভীষ্মকনগৰৰ ভগ্নাৱশেষত যিবোৰ ইটা পোৱা গৈছে সেইবোৰৰ আকাৰ সৰু আৰু মিহি। এই শিৱলিঙ্গ মন্দিৰটো বিশেষজ্ঞসকলে পোন্ধৰ শতিকাৰ বুলি ঠাৰৰ কৰিছে।[১৫০]

অৰুণাচল প্ৰদেশৰ নামনি চিয়াং জিলাৰ লিকাবালিৰ ওচৰত অৱস্থিত মালিনীথানত পোৱা ধ্বংসাৱশেষবোৰে চুতীয়া জাতিৰ বুৰঞ্জী ৰচনাত বহুখিনি সহায় কৰে। ১৯৭০ চনত অৰুণাচল প্ৰদেশৰ গৱেষণা বিভাগৰ উপ-সঞ্চালক এল. এন. চক্ৰৱৰ্তীয়ে মালিনীথান অঞ্চলত খননকাৰ্য্য চলাই এশতকৈ অধিক মূৰ্তি পোহৰলৈ আনে।[১৫১] এই মূৰ্তিবিলাকৰ ভিতৰত আছে দুৰ্গা, গণেশ, কাৰ্ত্তিক আদি বিভিন্ন দেৱতা। শিৱৰ মূৰ্তি পোৱা হোৱা নাই যদিও শিৱৰ বাহন নন্দীৰ এটা সুন্দৰ আৰু বিশাল মূৰ্তি পোৱা গৈছে। তদুপৰি যক্ষ, কিন্নৰ, সিংহ, হাতী আদি বিভিন্ন ভাস্কৰ্য পোৱা গৈছে। ডিমাপুৰ আৰু তেজপুৰৰ ওচৰৰ দ-পৰ্বতীয়াত পোৱা প্ৰত্নতাত্বিক নিদৰ্শনবোৰৰ লগত মালিনীথানৰ ভগ্নাৱশেষবিলাকৰ মিল আছে। মালিনীথানত সম্ভৱতঃ কেইবাটাও মন্দিৰ আছিল। ইয়াৰ সকলোবোৰ মূৰ্তিয়েই শিলত কটা। ক'তো ইটাৰ ব্যৱহাৰ দেখা নাযায়।

এতিয়ালৈকে কোনো ফলি বা সাহিত্যত এই মন্দিৰৰ উল্লেখ পোৱা নাই। প্ৰত্নতাত্বিকসকলে এই মন্দিৰৰ ভগ্নাৱশেষ তেৰ-চৈধ্য শতিকাৰ ভিতৰত পেলাইছে।[১৫২] কোনো কোনোৱে আকৌ এইবিলাক দহৰপৰা বাৰ শতিকাৰ ভিতৰত নিৰ্মিত বুলি ক'ব বিচাৰে।[১৫৩] এই কালছোৱাত এই অঞ্চলটো চুতীয়া ৰাজ্যৰ অন্তৰ্গত আছিল। গতিকে মালিনীথানৰ মন্দিৰসমূহো চুতীয়া ৰজাসকলৰ ৰাজত্বকালতে নিৰ্মাণ কৰা হৈছিল। তদুপৰি

---

১৫০ *ibid.*,pp.19f.
১৫১ বিস্তৃত বিৱৰণৰ বাবে চাওক - L.N. Chakravarty, 'Malinithan', **Resarun'75**, DRAP, Shillong, 1976,pp.1-7.
১৫২ *ibid.*,p.7.
১৫৩ Raikar & Chatterjee, *op. cit.*, p.19.; Tage Tada & B.J. Das, **A Descriptive Account of the Sculptures of Malinithan, Arunachal Pradesh**, DRAP, Itanagar,2003,p.11.

জাতিৰ সম্পৰ্কত থাকি আহোমেৰে সৈতে মিলি গৈছিল, তেওঁলোকক আহোম চুটিয়া আৰু যিবোৰৰ অৱস্থা তাৰ বিপৰীতে ঘটিছিল, তেওঁলোকক হিন্দু চুটিয়া বোলা হয়। হিন্দু-চুটিয়াসকলে অসমীয়া জাতি বিভাগৰ ঢাপত লাহে লাহে উঠি আন আন জাতিৰ মানুহৰ ভিতৰুৱা হ'ব লাগিছে। কোচ, কলিতা প্ৰভৃতি জাতিৰ মানুহৰ ভিতৰত হাজাৰ হাজাৰ চুটিয়া মিহলি হৈ আছে। কাৰ সাধ্য এওঁলোকক চিনি ফঁহিয়াই বাহিৰ কৰে? বিৰাট অসমীয়া জাতিৰ ভঁৰালত চুটিয়াৰ দান বৰ তাকৰ নহয়।

এইবোৰ উক্তিৰ বাহিৰেও যদি কোনোৱে কয় যে আগৰ কোনো উন্নতি জাতিৰপৰা "চ্যুত" হৈ চুটিয়া নাম পাইছে তাতো আমাৰ কোনো আসোঁৱাহ নাই। চুটিয়া শব্দটি মূৰ্দ্ধন্য "ট" দি লিখক বা দন্ত্য "ত" দি লিখক এপিনে নহয় এপিনে ইয়াৰ মূল অৰ্থ নিৰাকৰণ কৰাত সহায় পোৱা হয়। গতিকে এই জাতিৰ আঁতি-গুৰি সম্পৰ্কে কোনো "সংশয় বা আশঙ্কাৰ" কাৰণ নাই। ওপৰত ইমান পৰে কৈ অহা উক্তিবোৰৰপৰা এইটো নিৰাপদে, অপ্ৰয়াসে আৰু অপ্ৰমাদে ক'ব পাৰি যে অসমৰ চুটিয়া জাতি এক উচ্চ সভ্যতাৰ সন্ততি। যি জাতিৰ ৰজাসকলৰ নাম ৰত্নধ্বজ পাল বা গৌৰনাৰায়ণ, বিজয়ধ্বজ পাল বা শিৱনাৰায়ণ, বিক্ৰমধ্বজ পাল বা জগৎ নাৰায়ণ, গুৰুধ্বজ পাল বা প্ৰমত্ত নাৰায়ণ, হংসধ্বজ পাল বা হৰিনাৰায়ণ, জয়ধ্বজ পাল বা ব্ৰজনাৰায়ণ, কৰ্মধ্বজ পাল বা সত্যনাৰায়ণ, ধৰ্মধ্বজ পাল বা বীৰনাৰায়ণ, নীতিপাল বা সাধক নাৰায়ণ সেই জাতি নিশ্চয় উচ্চ সভ্যতাৰ সন্ততি।

অসম দেশত আদি সভ্যতাৰ কথা বাদ দিলে ঘাইকৈ এই চাৰিটা সভ্যতা দেখা যায় ঃ

(১) আহোম সভ্যতা
(২) কোচ সভ্যতা
(৩) কছাৰী সভ্যতা
(৪) চুটিয়া সভ্যতা

চুটিয়া সভ্যতা আহোম সভ্যতাতকৈ আগৰ আৰু আন নহ'লেও পিছৰ নহয়। পুৰাবৃত্ত আলোচনা কৰিলে নতুন ঐতিহাসিক তথ্য উদঘাটন হ'লে এই সভ্যতাৰ প্ৰচীনত্ব দূৰলৈ আগুৱাই যাব। প্ৰত্যেক সভ্যতাই কোনো দৈৱিক শক্তিৰপৰা উৎপত্তি বা আৱিৰ্ভাৱ হোৱা দেখা যায়। আহোম সভ্যতা ইন্দ্ৰবংশৰপৰা, কোচ সভ্যতা শিৱবংশৰপৰা, কছাৰী সভ্যতা হিড়িম্বা বা দ্বিতীয় পাণ্ডৱ ভীমৰপৰা আৰু সেইদৰে চুটিয়া সভ্যতা ধনদেৱতা কুবেৰৰপৰা আৱিৰ্ভাৱ হৈছে। অসম দেশৰ এই চাৰি সভ্যতাকে লৈ অসমীয়া জাতিটো গঠিত বুলি ক'লে যুক্তিৰ কোনো ভুল নহয়। বুৰঞ্জীয়ে ঢুকি নোপোৱা যুগৰ আন সভ্যতা কালক্ৰমত আৱিষ্কাৰ হ'ব পাৰে, কিন্তু অসমীয়া সমাজত আৰু অসমীয়া জাতিত্বত এই চাৰি সভ্যতাৰ দান সদায় অমূল্য হৈ থাকিব।



আহোমসকলে চুটিয়াসকলক পৰাজয় কৰাত দুয়ো সভ্যতাই পৰস্পৰৰ ওপৰত প্ৰভাৱ চলাইছিল। আহোমৰ দৈনন্দিন জীৱনত চুটিয়াৰ প্ৰভাৱ ঘটিছিল আৰু চুটিয়াৰ সামাজিক জীৱনত আহোমৰ প্ৰভাৱ ঘটিছিল। অনুসন্ধান সমিতিৰ প্ৰকাশিত পুৰণি অসম বুৰঞ্জীৰ ১৪ পৃষ্ঠাত উল্লেখ যেনে - "পাছে সকলো বশ হৈ ঁ ক মানি ল'লে। সিহঁতৰ দুই টুপ লগোৱা ঘৰ আছিল, তাকে ঁ কে দিলে। তাৰেপৰা দুই টুপ লগোৱা ঘৰ হ'ল। আনে থাকিব নাপায়। মৰাণে আলু-কচু, ঢেঁকীয়া, মেটেকা, নেফাপুমে চাকি মেজেঞ্চীৰ ভেটে। তাক ঁ এ খাব নাজানে। লগত থকা বৰাহীত সোধে বোলে তহঁতে কেনেকৈ খা আমাকো সিজাই দে। পাছে সিহঁতেও সিজাই দিলে। ভাল পাই খালে বোলে আজিৰপৰা তহঁতক ৰান্ধনি পাতিলোঁ। এতেকে অদ্যাপিও বৰাহী চাঙমাই হল।" অসমত টুপ লগোৱা ঘৰৰ প্ৰথম আৱিষ্কাৰকৰ্তা চুটিয়াসকল যদিও বৌদ্ধস্তূপৰপৰা টুপ শব্দৰ প্ৰচলন হ'বলৈ ধৰিলে। ইয়াৰ বয়স আৰু প্ৰাচীনত্ব বহুত দূৰলৈকে দেখুৱাব পাৰি।

এনে পৰস্পৰ প্ৰভাৱৰ ফলত আৰু শেহত আহোম মহাবিক্ৰমী হৈ উঠাত চুটিয়া জাতি অহম জাতিৰ মাজত বিলীন হৈ থকাত চুটিয়াসকল আহোম জাতিৰ অন্তৰ্গত মাথোন বুলি বহুত লোকৰ ধাৰণা হৈ থাকিব বা আছেও।

আজি-কালি প্ৰাচীন তত্ত্ব আৰু তথ্য উদ্ধাৰৰ যুগ। পুৰাবৃত্ত বিভাগে (Archaeological Deptt.) ভাৰতবৰ্ষৰ পুৰণি বুৰঞ্জীমূলক ঠাইবোৰ খান্দি উলিয়াই প্ৰকৃত বুৰঞ্জীৰ নানা তথ্য আৱিষ্কাৰ কৰিব দি শিক্ষিত জগতক আজি চমৎকৃত কৰিছে। সিদিনা মাথোন আজি চাৰি বছৰৰ কথা। ভাৰতবৰ্ষৰ পশ্চিম সীমান্তত পঞ্জাৱ প্ৰদেশত তক্ষশিলা নামেৰে প্ৰায় ২৫ মাইল পৰিধিৰ শিলৰ নগৰ এখন পলস পৰি থকা মাটিৰ তলৰপৰা খান্দি উলিয়াই পুৰাবৃত্ত আলোচনাত সুপণ্ডিত মাৰ্চেল চাহাবে নভবা-নিচিন্তা কথা আৱিষ্কাৰ কৰি দিলে। এই লিখকে লাহোৰ নগৰীত বহা ৪ৰ্থ বাৰ্ষিক অৰিয়েন্টেল কনফাৰেন্সলৈ প্ৰতিনিধি হৈ যাওঁতে সেই বিৰাট ধ্বংসাৱশেষবোৰ স্বচক্ষে দেখি আহিছে। সেই তক্ষশিলা নগৰেই মহাভাৰতত উল্লেখ থকা জন্মেজয়ে কোৱা তক্ষক ৰজাৰ নগৰ। এইদৰে মহেঞ্জোদাৰো আৰু হৰপ্পা নামে ঠাইতো অসংখ্য প্ৰত্নতত্ত্ব আৱিষ্কাৰ হৈছে। সেই অজস্ৰ ঐতিহাসিক বস্তুবোৰ এটি চিত্ৰশালাত ৰক্ষিত হৈছে আৰু ভাৰতীয় পণ্ডিতসকলে সেই উপকৰণবোৰেৰে ন ন তথ্য উদ্ভাৱন কৰিছে। ৰাইজসকল, চুটিয়া ভূপতিসকলৰ প্ৰাচীন ৰাজ্য লক্ষীমপুৰ জিলাখন পুৰাতত্ত্ব বিভাগৰপৰা ঠায়ে ঠায়ে খন্দাব পাৰিলে মোৰ বোধেৰে নভবা-নিচিন্তা বুৰঞ্জীৰ কত যে তথ্য আৱিষ্কাৰ হ'ব পাৰে। বিহাৰ ৰাজ্যত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাৰ নাম অঙ্কিত থকা এটি মাটিৰ মোহৰ আৱিষ্কাৰ হৈছিল। কোনে ক'ব পাৰে ভাৰত-সম্ৰাট হৰ্ষবৰ্দ্ধনৰ দিনত চীন পৰিব্ৰাজক হিউৱেনচাঙক এই দেশত পদাৰ্পণ কৰিবলৈ নিমন্ত্ৰণ কৰা পত্ৰৰ লগত পঠোৱা মহাৰাজাধিৰাজ প্ৰাগ্‌জ্যোতিষপুৰাধিপতি কুমাৰ ভাস্কৰবৰ্মা নামাঙ্কিত সেই মোহৰটিয়েই এইটি নহয় বুলি? লক্ষীমপুৰ জিলাত

মাজে সময়ে নতুন নতুন বুৰঞ্জীৰ সম্পদ আৱিষ্কাৰ হৈয়েই আছে। লক্ষীমপুৰত চাৰি-পাঁচ বছৰৰ আগেয়ে খামতি ভাষাত লিখা শিলত কটা কথাৰে সৈতে এটা প্ৰকাণ্ড আঠশিৰীয়া শিলৰ খুঁটা আৱিষ্কাৰ হৈছে। গ'ল বছৰ ১৯২৯ চনত খামতিবিলাকে মাছ মাৰি থাকোতে "দিব্ৰাং" নদীত এটি কাঁহৰ বৰতোপ পাইছিল আৰু সেই বৰতোপ সম্প্ৰতি অনুসন্ধান সমিতি-গৃহত ৰক্ষিত হৈছে। সেই বৰতোপৰ গাত লিখা আছে - "শ্ৰীশ্ৰী স্বৰ্গনাৰায়ণ সৌমাৰেশ্বৰ পৰ্ব্বত নগৰোত্তৰ মহাৰাজ গদাধৰ সিংহেন যৱনং জিত্তন ইদমযন্ত্ৰম্ প্ৰাপ্তম শাকে ১৬৬০।"

এই বৰতোপ আৱিষ্কাৰ হোৱাত আহোম নৃপতি মহাৰাজ গদাধৰ সিংহৰ দিনৰ এটি নতুন কীৰ্তিও উদ্ধাৰ পালে। লক্ষীমপুৰ জিলাখনত খনন-কাৰ্য চলালে মোৰ বোধেৰে চুটিয়া সভ্যতাৰ অতি প্ৰাচীনতন নিদৰ্শন আৱিষ্কাৰ হ'ব পাৰে। আৰ্যসভ্যতা ভাৰতৰ পূৱ সীমাইদি বিস্তাৰিত কৰা মতৰ সপেক্ষে নানা প্ৰমাণৰ বস্তুও কিজানি পাব পাৰি। অসম দেশৰ ইতিবৃত্তত বহুত পৰিৱৰ্তন ঘটি যাব পাৰে। লক্ষীমপুৰ জিলাখনত অসংখ্য প্ৰাচীন কীৰ্তি পৰি আছে। তাৰে ভিতৰত তাম্ৰেশ্বৰী মন্দিৰৰ গঠন-প্ৰণালী, শিলৰ কাৰুকাৰ্য আৰু বুঢ়া-বুঢ়ীৰ থানৰ বিষয়ে অলপ সূক্ষ্মভাৱে বিচাৰ কৰিলেই সকলো তত্ত্বৰ ভু ওলাই পৰে। কেপ্টেইন বুকানন চাহাবে এই মন্দিৰৰ সকলো বৰ্ণনা ঊনৈশ শতাব্দীৰ আৰম্ভণতে লিখি গৈছে। তাম্ৰেশ্বৰী মন্দিৰক পূৰ্ব কামাখ্যা বুলিব পাৰি। যোগিনীতন্ত্ৰত ইয়াক দিক্কৰবাসিনী বুলি উল্লেখ কৰা আছে। এই তাম্ৰেশ্বৰী বা পূৰ্ব কামাখ্যালৈ পূৰ্বে আহোমসকলৰ আগমনৰ আগেয়ে কোচবিহাৰৰপৰা অসমৰ পূব কোণলৈকে বিস্তৃত সেই বিখ্যাত ৰাস্তাইদি ভাৰতৰ পশ্চিমৰপৰা তীৰ্থযাত্ৰী অহা-যোৱা কৰিছিল। দলপানী নৈৰ দক্ষিণপাৰে তাম্ৰেশ্বৰী মন্দিৰ। মন্দিৰৰ ভিতৰৰ পৰিমাণ ৮ বৰ্গফুট। দেৱাল ৪১/২ ফুট ডাঠ। সমুখৰ দুৱাৰৰ কাষত দুটা কোঠা আছে। এই কোঠা তিনি চটা শিলেৰে সজা। দেৱালৰ বাহিৰৰ ভাগ প্ৰায় ১৭ ফুট। দুৱাৰৰ ওপৰৰ ডোখৰত বাজে চাৰিওকাষৰ বেৰা সাধাৰণ ধৰণৰ। মন্দিৰৰ গঠন প্ৰাচীন ধৰণৰ। মন্দিৰৰ পশ্চিমৰ দুৱাৰগৰিলাৰ কাষত এচটা শিলত পদ্ম ফুল কটা আছে। কিছুমান ফুলকটা সৰু খুঁটাও পৰি আছে। সেই খুঁটাৰ ওপৰত হাতীৰ মূৰ্তি অঙ্কিত থকা শিলৰ থাক আছে। মন্দিৰৰ দক্ষিণ-পূৱে মন্দিৰৰপৰা নদীলৈ যাব পৰা শিলৰ খটখটিৰে এটা বাট আছে। বহুত শিল এৰাই বাগৰি গৈ নদীত পৰিছে। এডোখৰ তিনিকোণীয়া ক্ষয় যোৱা গ্ৰেনাইট (বৰ টান) শিল আছে। এই শিলচটাত আখৰৰ দৰে কেইবাটাও চিহ্ন আছে। কেইটামান চিনৰ গঢ় আখৰৰ দৰে। এইবোৰ পূজা-সেৱাৰ যন্ত্ৰ হ'বও পাৰে। কিন্তু এই আখৰ থকা শিলচটাৰ পাঠ উদ্ধাৰ কৰিবৰ উপায় নাই; পৰা হ'লে সকলো অনুমানৰ ওৰ পৰিলহেঁতেন। মন্দিৰৰ ওপৰৰ শিল এচটাত হিন্দুৰ অৱতাৰৰ আৰু নানা মূৰ্ত্তি অঙ্কিত আছে। এটা সজ্জিত ঘোঁৰা, তাৰ ওপৰত জোঙা টুপিৰে এজন যোদ্ধা, হনুমান, কল্পবৃক্ষ, দুজনী অপ্সৰাৰ যুদ্ধ, পদ্ম, চম্পা আছে আৰু



বেছিভাগ মূৰ্তিৰে মূৰত জোঙা টুপি। তেজপুৰৰ বাণ ৰজাৰ ধ্বংসাৱশেষবোৰত আৰু বামণি পৰ্বতত থকা কাৰুকাৰ্যৰ শিলা মূৰ্তিবোৰত জোঙা টুপি আছে। জোঙা টুপি থকা বা মূৰত সেই ধৰণৰ সাজ থকা হিন্দুৰ মূৰ্তিবিদ্যা বা প্ৰতিমা (geonography) অনুসাৰে অতি প্ৰাচীন। তেন্তে ভাবি চাওক এই তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাচীনত্ব কিমান দূৰলৈ যায়। যদিও ভূমিকম্পাদি নানা প্ৰাকৃতিক দুৰ্ঘটনাৰ ফলত বহুত design বা লক্ষণ নষ্ট পাইছে। তথাপি যিবোৰ প্ৰাচীন লক্ষণ এতিয়াও বিদ্যমান, সেই লক্ষণবোৰে যে অতি প্ৰাচীন সভ্যতাৰ প্ৰমাণ দিছে তাক সেই বিষয়ত অভিজ্ঞ কোনো পণ্ডিতে নহয় বুলিব নোৱাৰে। অসমৰ পূব সীমাত সুদুৰ অতীতত নিশ্চয় নিসন্দেহে অতি প্ৰাচীন সভ্যতা আছিল। ইয়াত বোধ কৰোঁ কাৰো দুই মত হ'ব নোৱাৰে। সেই জিলাতে চি চি ছ-মিলৰ ওচৰৰ চি চি নৈৰ কাষত জঙঘলত শিলত কটা মূৰ্তি আৰু প্ৰাচীন ধ্বংসাৱশেষ বহুত পৰি আছে। তাৰে দুটি মূৰ্তিক লক্ষ্য কৰি এজন ইংৰাজ লিখকে তাহানি এচিয়াটিক ছচাইটিৰ জাৰ্ণেলত (A.S.J.) প্ৰকাশ কৰিছিল যে এই মূৰ্তিয়ে বৌদ্ধ মূৰ্তি আৰু বৌদ্ধধৰ্মৰ প্ৰচলিত থকাৰ প্ৰমাণ দিয়ে। এনেকৈ সেই অঞ্চলৰ সভ্যতা চুটিয়াসকলতকৈও বহুত দূৰলৈকে আগুৱাই যায়। আমি সেইবোৰ বিষয়ৰ আৰু বিশদ আলোচনা নকৰো। কেৱল মাথোন ইয়াক কওঁ যে কীৰ্তিবোৰ নিশ্চয় কোনো উচ্চ সভ্যতাৰ চিন। শিলত কটা মূৰ্তি, শিলৰ ঘৰ, তামৰ ঘৰ, ভাস্কৰ বিদ্যা, স্থপতি বিদ্যা, ধাতুদ্ৰব্যৰ কাৰ্য সভ্য জাতিৰ বাহিৰে আন কাৰ হ'ব পাৰে? কোনোবা উচ্চতৰ সভ্যতাৰ পিছত চুতীয়া সভ্যতাৰ নিশ্চয় সেই অঞ্চলত আবিৰ্ভাৱ হৈছিল। সেই উচ্চতৰ সভ্যতা হৈছে মহাভাৰতৰ ভীষ্মক ৰজাৰ। কুণ্ডিল নগৰ হৈছে সেই উচ্চ সভ্যতাৰ নিদৰ্শন। দ্বাৰকাধিপতি শ্ৰীকৃষ্ণৰ লগত সৰ্বগুণালঙ্কৃতা ৰুক্মিণীৰ বিবাহ হৈছে উচ্চ সভ্যতাৰ পটন্তৰ।

কোনো এটা জাতিৰ উচ্চ সভ্যতা নিৰাকৰণ কৰিবলৈ হ'লে সাধাৰণতে পুৰাতত্ত্ব, পুৰালিপিতত্ত্ব, জাতিতত্ত্ব, ভাষাতত্ত্ব, ভৌগোলিকতত্ত্ব, ধৰ্মতত্ত্ব আৰু আচাৰ-পদ্ধতিতত্ত্বৰ পুঙ্খানুপুঙ্খৰূপে পৰ্যবেক্ষণ কৰি কোনো অভিমত প্ৰকাশ কৰা হয়।

(১) পুৰাতত্ত্বৰ ফালৰপৰা (Archaeological grounds) এইটো সুন্দৰকৈ অনুমান হয় যে প্ৰাচীন কীৰ্তি আৰু ধ্বংসাৱশেষবোৰ নিশ্চয় কোনো উচ্চ সভ্যতাৰ অৱশিষ্ট।

(২) পুৰালিপিতত্ত্বৰ ফালৰপৰা (Paleographic grounds) চালেও কেৱল হাতেলিখা চুটিয়া বুৰঞ্জীত লিখিত ভাষা থকা কথাটি ধৰিও ক'ব পাৰি যে এই জাতিৰ মাজত উচ্চ সভ্যতা আছিল।

(৩) ভাষাতত্ত্বৰ ফালৰপৰা (Linguistic grounds) এই জাতিৰ দেউৰী ভাষাত সংস্কৃত শব্দৰ প্ৰাচুৰ্য দেখি উচ্চ সভ্যতাৰ প্ৰভাৱ আছিল বুলি ধৰিব পাৰি।

(৪) জাতিতত্ত্বৰ ফালৰপৰাও (Ethnographical grounds) বুজিবৰ যথেষ্ট

চুটিয়া সমাজত যিবোৰ গীত চলিত আছে, যিবোৰ উপকথা, সাধুকথা মুখে মুখে আছে, ধৰ্ম-চৰ্চা কৰাত যিবোৰ গধুৰ বিষয়ক কথা সদায় প্ৰচলিত হৈ আছে, সেই আটাইবোৰৰ দানেৰে অসমীয়া সাহিত্যৰ পৰিপুষ্টি সাধন হ'ব লাগে। বৰ্তমান ক্ষেত্ৰত অসমীয়া জাতিয়ে কি ভাষাত, কি সাহিত্যত, কি জাতীয় উৎসৱত সকলোতে অসমীয়াৰ জাতীয়ত্ব ৰাখিবলৈ দেহে-কেহে যত্নপৰ হ'ব লাগে। অসমীয়া কিতাপ-পত্ৰ লিখি, প্ৰকাশ কৰি, কিনি, আবৃত্তি কৰি, আলোচনা কৰি, অসমীয়াৰ লুপ্ত উদ্‌গতিত কায়-মনো-বাক্যে লাগি গ'লেহে অসমীয়া জাতিৰ অসমীয়াত্ব ৰক্ষা পাব।

চুটিয়া জাতিৰ জাতীয় বুৰঞ্জী এটা গঠন কৰিবলৈ যোৱাটো অতি সুবিবেচনাৰ কাম হৈছে। কিয়নো, চুটিয়াৰ বুৰঞ্জী যে অসমৰ বুৰঞ্জী, চুটিয়াৰ ইতিবৃত্ত প্ৰকাশ পালে যে অসমীয়াৰ প্ৰাচীনত্ব প্ৰমাণ হয়। এই উদ্দেশ্যে বুৰঞ্জীৰ উপকৰণবোৰ যেনে - হাতেলিখা চুটিয়া সম্বন্ধীয় পুথি, মোহৰ, চুটিয়াৰ পুৰণি অস্ত্ৰ-শস্ত্ৰ, চুটিয়াৰ পুৰণি পূজাৰ সম্ভাৰ, চুটিয়াৰ কাঠ আৰু ধাতুদ্ৰব্যৰ কাৰুকাৰ্য, চুটিয়াৰ পুৰণি চিত্ৰ, চুটিয়াই পূজা কৰা বিগ্ৰহ, চুটিয়া বীৰে বধ কৰা কোনো জন্তুৰ শিং বা ছাল ইত্যাদি সংগ্ৰহ কৰিব লাগে। কিন্তু এই পুৰণি সন্ধানবোৰ লওঁতে সাৱধান যাতে আহোম সভ্যতাৰ গৌৰৱজনক বস্তুবোৰক চুটিয়াই স্বতন্ত্ৰ গৌৰৱৰ বস্তু বুলি দাবি নকৰে। কিয়নো যদিও তেনে কৰ্মত অসমীয়াৰ এটা জাতি হিছাপে কোনো ক্ষতি নাই তথাপি দুয়ো সভ্যতাৰ মাজত বেমেজালি ঘটিব পাৰে। চুটিয়া জাতিৰ আচাৰ-পদ্ধতি, সামাজিক, বৈৱাহিক কথা-বাৰ্তাবোৰ অসমীয়া সমাজত প্ৰকাশ পাব লাগে। অলপতে 'বাঁহী'ত প্ৰকাশ পোৱা দেউৰী চুটিয়া নামেৰে দিয়া প্ৰবন্ধকেইটিত জানিব লগীয়া বহুত কথা আছে। নিশ্চয় সকলোৱে যথাসাধ্য এই বিষয়ে এনেধৰণৰ সাহিত্য আৰু বুৰঞ্জী-চৰ্চাত ৰতি দেখুৱাব লাগে।

আপোনালোকক আৰু এটা কথাৰে বেছি আমনি নলগাওঁ। বহুতৰ এনে কি জনা-বুজা শিক্ষিত লোকৰো এটি ধাৰণা আছে যে অসমীয়া সমাজৰ বিভিন্ন নাম-ধাৰী সন্মিলনবোৰৰ প্ৰকৃততে কিবা সাৰ্থকতা আছেনে? আমি সন্মিলনবোৰৰ স্থাপনৰ বিষয়ে নানা জনৰ সন্দেহজনক উক্তি নুশুনাকৈ থকা নাই। মোৰ বোধেৰে অসমীয়া সমাজৰ অঙ্গীভূত বিভিন্ন সন্মিলনবোৰৰ একান্ত আৱশ্যক। অসমীয়া জাতিৰ ওপৰত ইমানবোৰ অত্যাচাৰ আৰু উৎপীড়ন হৈ গৈছে, এই জাতিৰ ইমানেই আত্ম-বিস্মৃতি ঘটিছে, এই জাতিৰ নিশ্চয় শক্তি-সামৰ্থ্যৰ ওপৰত ইমানেই সন্দেহ জন্মিছে যে আজি অলপ দিনৰপৰাহে অসমীয়া জীৱনৰ বাস্তৱতাত অলপ বিশ্বাস স্থাপনৰ উপক্ৰম হৈছে। কুম্ভকৰ্ণ হৈ পৰি থকা এই জাতিটোক জগতত থিয় কৰি দিবলৈ আৰু সকলোৰে মন-প্ৰাণ সজাগ কৰি তুলিবলৈ সভাৰে, সমিতিৰে, সন্মিলনেৰে আৰু মিলনেৰে এটি সুযোগ তুলি দি ধুবুৰীৰপৰা সদিয়ালৈকে ভূমিকম্পৰ জোঁকাৰণিতকৈও প্ৰবল জোঁকাৰণিৰে জাতিটোৰ নিদ্ৰা বা তন্দ্ৰা ভাঙ্গি দিব ল'গা হৈছে। আৰু এই তন্দ্ৰা অৱস্থাৰপৰা চেতন অৱস্থালৈ



আনিবলৈ ব্ৰীটিছৰ দিনত সভা-সমিতি সন্মিলনত বাদে আন অস্ত্ৰ নাই, নাই, নাই। সেইবাবে কওঁ চুটিয়া সন্মিলন এটা উত্তম সন্মিলন হৈছে। সমাজৰ বিভিন্ন অঙ্গই সমাজ বা জাতি হিছাপে প্ৰধান অঙ্গৰ উদ্‌গতিত আৰু বিকাশত বৃত্তাকাৰে কেন্দ্ৰীভূত হৈ বিনা সংঘৰ্ষণে মূল উদ্দেশ্যৰপৰা বিচলিত নহওক। উমৈহতীয়া হৈ কাম কৰিলেহে জাতিৰ উদ্‌গতি। চুটিয়া সন্মিলনে এইটি কথা মনত ৰাখিব যে আমি আগে অসমীয়া পিছতহে চুটিয়া। নদী মাত্ৰেই মহাসাগৰত মিলন হয়। প্ৰকৃত দেশহিতকাৰীয়ে বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন উৎকৰ্ষ লাভ কৰাত অলপো কুণ্ঠিত নহয়। সেইবাবে চুটিয়া সমাজৰ হিতকাৰী লোকসকলৰ ওচৰত আমাৰ বিনীত গোহাৰি এয়ে যে অসমীয়া জাতিৰ জাতীয়ত্ব স্থাপন কৰাৰ অৰ্থে চুটিয়া সন্মিলনে অসমীয়া জাতিৰ অঙ্গীভূত হৈ বিভিন্ন ভাৱে অথচ সৰ্বজনপ্ৰিয় হৈ সকলো বিধৰ কৰ্ম-তৎপৰতা দেখুৱাওক - জানিব বিশ্বজগতত ভাৰতীয় জাতি হৈ বৈদিক ক্ৰিয়াত সদায় উচ্চাৰিত হোৱা "ভাৰতবৰ্ষে সুপ্ৰদেশে" আখ্যায়িকাৰ পূৰ্ণ সাৰ্থকতা লাভ কৰাটোৱেই অসমীয়া জাতিৰ অপৰিহাৰ্য কৰ্তব্য। ইয়াতে লক্ষ্য ৰাখি চুটিয়া সমাজৰ কাৰ্যকুশলতা ক্ৰমাৎ বাঢ়ি যাওক। সৰশেষত দুনাই মোৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছো আৰু ইমানপৰে এই অভাজনৰ আমনি লগা জাবৰুৱা কথাবোৰ শুনি থকাৰ নিমিত্তে নাজানো আপোনালোকলৈ কিহেৰে কৃতজ্ঞতা প্ৰকাশ কৰোঁ।

(**উৎস ঃ** সৰ্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলী, (সম্পাদনা) লক্ষ্মীনাথ তামুলী, অসম প্ৰকাশন পৰিষদ, ২০০৪, পৃঃ ৪৪৭-৪৫৮)

## পৰিশিষ্ট ট

### *সদৌ চুতীয়া জাতি সন্মিলনৰ অধিবেশনসমূহৰ চন, স্থান আৰু সভাপতি/সম্পাদকসকল*
### ১৯২৫-২০০৫ খ্ৰীঃ

**প্ৰথম অধিবেশন ঃ ১৯২৫ চন, ঢেকিয়াল, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ সাহিত্যিক ৰজনীকান্ত বৰদলৈ।
মূল সভাৰ সম্পাদক ঃ ভ্ৰমৰ চন্দ্ৰ শইকীয়া।
**দ্বিতীয় অধিবেশন ঃ ১৯২৭ চন, ৰহা, নগাঁও।**
মূল সভাৰ সভাপতি ঃ ককা নীলমণি ফুকন।
মূল সভাৰ সম্পাদক ঃ ভ্ৰমৰ চন্দ্ৰ শইকীয়া।
**তৃতীয় অধিবেশন ঃ ১৯২৯ চন, পীড়াকটা, যোৰহাট।**
মূল সভাৰ সভাপতি ঃ গোপাল চন্দ্ৰ বৰুৱা।
মূল সভাৰ সম্পাদক ঃ ভ্ৰমৰ চন্দ্ৰ শইকীয়া।
**চতুৰ্থ অধিবেশন ঃ ১৯৩০ চন, বানমুখ, শিৱসাগৰ।**
মূল সভাৰ সভাপতি ঃ সৰ্বেশ্বৰ শৰ্মা কটকী।
মূল সভাৰ সম্পাদক ঃ ভ্ৰমৰ চন্দ্ৰ শইকীয়া।
**পঞ্চম অধিবেশন ঃ ১৯৩৫ চন, চাৰিং, শিৱসাগৰ।**
মূল সভাৰ সভাপতি ঃ বৃন্দাবন চন্দ্ৰ গোস্বামী।
মূল সভাৰ সম্পাদক ঃ ভ্ৰমৰ চন্দ্ৰ শইকীয়া।
**ষষ্ঠ অধিবেশন ঃ ১৯৩৮ চন, বেঙেনাখোৱা, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ পূৰ্ণচন্দ্ৰ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ গোলোক চন্দ্ৰ বৰা।
**সপ্তম অধিবেশন ঃ ১৯৪৬ চন, মৰাণ, শিৱসাগৰ।**
মূল সভাৰ সভাপতি ঃ গোপিনাথ বৰদলৈ।
মূল সভাৰ সম্পাদকদ্বয় ঃ তিলেশ্বৰ হাজৰিকা, গোলোক চন্দ্ৰ বৰা।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ সোণাৰাম চুতীয়া (বি.এছ.চি.)।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ সুৰ্ণ বালা বৰা।



**অষ্টম অধিবেশন ঃ ১৯৪৭ চন, উত্তৰ লক্ষীমপুৰ নগৰ।**
মূল সভাৰ সভাপতি ঃ ইন্দ্ৰেশ্বৰ চুতীয়া।
মূল সভাৰ সম্পাদকদ্বয় ঃ কমল চন্দ্ৰ চুতীয়া, তিলেশ্বৰ হাজৰিকা।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ মোহন ৰাম শইকীয়া।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ ৰত্নেশ্বৰী শইকীয়া।
**নৱম অধিবেশন ঃ ১৯৪৮ চন, ৰহমৰীয়া, ডিব্ৰুগড়।**
মূল সভাৰ সভাপতি ঃ ইন্দ্ৰেশ্বৰ চুতীয়া।
মূল সভাৰ সম্পাদক ঃ কমল চন্দ্ৰ চুতীয়া।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ সোণাৰাম চুতীয়া (বি.এ.)।
ছাত্ৰ সন্মিলনৰ সম্পাদক ঃ যোগেন্দ্ৰ নাথ বৰা (গোলাঘাট)।
মহিলা সন্মিলনৰ সভামেত্ৰী ঃ ঘনকান্তি নেওগ।
**দশম অধিবেশন ঃ ১৯৫০ চন, ফুলগুৰি, নগাঁও।**
মূল সভাৰ সভাপতি ঃ গকুলেশ্বৰ হাজৰিকা।
মূল সভাৰ সম্পাদকদ্বয় ঃ দেবেন্দ্ৰ নাথ বৰদলৈ, কমল চন্দ্ৰ চুতীয়া।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ সোণাৰাম চুতীয়া (বি.এ.)।
ছাত্ৰ সন্মিলনৰ সম্পাদক ঃ জীৱন ৰাজখোৱা।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ হেমপ্ৰভা ভৰালী।
**একাদশ অধিবেশন ঃ ১৯৫৬ চন, মনাইমাজী, যোৰহাট।**
মূল সভাৰ সভাপতি ঃ পূৰ্ণ চন্দ্ৰ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ যোগেন্দ্ৰ নাথ বৰা (বি. এল.)।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ সোণাৰাম চুতীয়া।
ছাত্ৰ সন্মিলনৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
**দ্বাদশ অধিবেশন ঃ ১৯৬১ চন, শালিকীহাট, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ পূৰ্ণ চন্দ্ৰ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ ধৰ্মেশ্বৰ বৰুৱা (তিতাবৰ)।
**ত্ৰয়োদশ অধিবেশন ঃ ১৯৬৩ চন, ভাটমৌ, উত্তৰ লক্ষীমপুৰ।**
মূল সভাৰ সভাপতি ঃ দেহীৰাম বৰা।
মূল সভাৰ সম্পাদক ঃ অন্ন চন্দ্ৰ শইকীয়া (এম. এ. এল. এল. বি.)।
**চতুৰ্দশ অধিবেশন ঃ ১৯৬৮ চন, পীড়াকটা, যোৰহাট।**
মূল সভাৰ সভাপতি ঃ লক্ষীনাথ শইকীয়া (আমগুৰি)।
মূল সভাৰ সম্পাদক ঃ কোষেশ্বৰ বৰুৱা।
ছাত্ৰ সন্মিলনৰ সভাপতি ঃ ড° পদ্মধৰ শইকীয়া।
**পঞ্চদশ অধিবেশন ঃ ১৯৬৯ চন, বৰপথাৰ, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ লক্ষীনাথ শইকীয়া।

মূল সভাৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
যুৱ ছাত্ৰ সন্মিলৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ বেউলা বৰদলৈ।
**ষষ্ঠদশ অধিবেশন ঃ ১৯৭০ চন, চৰাই বাহী, যোৰহাট।**
মূল সভাৰ সভাপতি ঃ গোলোক চন্দ্ৰ বৰা।
মূল সভাৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ সভাৰাম দাস।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ সুৱৰ্ণবালা বৰা।
**সপ্তদশ অধিবেশন ঃ ১৯৭২ চন, বৰুৱা গাঁও, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ গোলোক চন্দ্ৰ বৰা।
মূল সভাৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ গজেন হাজৰিকা।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ কিৰণ নেওগ।
**অষ্টদশ অধিবেশন ঃ ১৯৭৪ চন, (সোণালী জয়ন্তী) চাৰিং।**
মূল সভাৰ সভাপতি ঃ পুণিৰাম হাজৰিকা (কমাৰবন্ধা)।
মূল সভাৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ হৰেন্দ্ৰ নাথ ভূঞা।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ অন্নদা শইকীয়া (বোকাখাট)।
**উনবিংশ অধিবেশন ঃ ১৯৭৬ চন, ফটিকাছোৰা, মৰাণ।**
মূল সভাৰ সভাপতি ঃ বুধিন্দ্ৰ নাথ ৰাজখনিকৰ (নিতাইপুখুৰী)।
মূল সভাৰ সম্পাদকদ্বয় ঃ কুলধৰ চুতীয়া আৰু শৰৎ শইকীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ গহীন চুতীয়া।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ নিলিমা বৰা।
**বিংশ অধিবেশন ঃ ১৯৭৯ চন, চুতীয়াকাৰী, উত্তৰ লক্ষীমপুৰ।**
মূল সভাৰ সভাপতি ঃ গোলোক চন্দ্ৰ বৰা।
মূল সভাৰ সম্পাদক ঃ কুলধৰ চুতীয়া।
**একবিংশ অধিবেশন ঃ ১৯৮২ চন, কেঁকুৰীবেবেজীয়া, উত্তৰ লক্ষীমপুৰ।**
মূল সভাৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।
মূল সভাৰ সম্পাদক ঃ মুক্তানাথ ভৰালী।
**দ্বাবিংশ অধিবেশন ঃ ১৯৮৫ চন, কছাৰী ময়দান, যোৰহাট।**
মূল সভাৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।
মূল সভাৰ সম্পাদক ঃ মুক্তানাথ ভৰালী।
**ত্ৰয়োবিংশ অধিবেশন ঃ ১৯৮৯ চন, কমাৰবন্ধা, গোলাঘাট।**
মূল সভাৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।



মূল সভাৰ সম্পাদক ঃ প্ৰদীপ চুতীয়া।
**চতুৰ্বিংশ অধিবেশন ঃ ১৯৯২ চন, আদৰকোনা, বদৰপুৰ।**
মূল সভাৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।
মূল সভাৰ সম্পাদক ঃ লক্ষীধৰ বৰা।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ জয়ন্ত চুতীয়া।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ চিনু শইকীয়া।
**পঞ্চবিংশ অধিবেশন ঃ ১৯৯৪ চন, তিনিচুকীয়া।**
মূল সভাৰ সভাপতি ঃ কোযেশ্বৰ বৰুৱা।
মূল সভাৰ সম্পাদক ঃ লক্ষীধৰ বৰা।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ জিতেন শইকীয়া।
**ষষ্ঠবিংশ অধিবেশন ঃ ১৯৯৭ চন, মৰাণ।**
মূল সভাৰ সভাপতি ঃ কুলধৰ চুতীয়া।
মূল সভাৰ সম্পাদক ঃ নীল হাজিৰকা।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ অজয় বৰা (কমাৰবন্ধা)।
**সপ্তবিংশ অধিবেশন ঃ ২০০০ চন, (মহাৰজত জয়ন্তী), কমাৰবন্ধা।**
মূল সভাৰ সভাপতি ঃ শৰৎ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ দিবাকৰ বৰা।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ ৰাতুল হাজৰিকা।
যুৱ ছাত্ৰ সন্মিলনৰ সম্পাদক ঃ ভোগেশ্বৰ শইকীয়া (সৰুপথাৰ)।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ হেমপ্ৰভা বৰদলৈ।
**অষ্টবিংশ অধিবেশন ঃ ২০০২ চন, গোগামুখ, ধেমাজি।**
মূল সভাৰ সভাপতি ঃ শৰৎ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ ৰঞ্জিত চুতীয়া।
যুৱ ছাত্ৰ সন্মিলৰ সভাপতি ঃ ৰাজেন শইকীয়া।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ হেমপ্ৰভা বৰদলৈ।
**ঊনত্ৰিংশ অধিবেশন ঃ ২০০৫ চন, বৰহোলা, তিতাবৰ।**
মূল সভাৰ সভাপতি ঃ শৰৎ শইকীয়া।
মূল সভাৰ সম্পাদক ঃ হৰেণ চুতীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ঃ ৰাজেন শইকীয়া।
যুৱ ছাত্ৰ সন্মিলনৰ সম্পাদক ঃ ধৰ্মপ্ৰাণ চুতীয়া।
মহিলা সন্মিলনৰ সভানেত্ৰী ঃ হেমপ্ৰভা বৰদলৈ।
উৎস ঃ কাকডোঙা, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ ঊনত্ৰিংশতিতম অধিবেশন,২০০৫।


(ক)


(খ)


(গ)


(ঘ)

তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাঙ্গনত পোৰা ইটাত খোদিত চিত্ৰ




(ঙ)


(চ)



(ছ)


(জ)

তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাঙ্গনত পোৰা ইটাত খোদিত চিত্ৰ



মালিনীথানৰ শিলৰ খুঁটা, ভাস্কৰ্য আদি



গৰখীয়া দ'ল, চেলাজান, কছাৰী গাঁও, ঢকুৱাখনা




সত্যনাৰায়ণ প্ৰদত্ত 'জয়ঘন্টা'; ঘাৰমৰা সত্ৰ, লক্ষীমপুৰ





মালিনীথানৰ প্ৰাচীন মূল মন্দিৰটোৰ পৃষ্ঠভাগ



ঘাৰমৰা সত্ৰত সংৰক্ষিত চুতীয়া ৰজা প্ৰদত্ত দোলা আৰু দবা



বলিকটা দা; হাৰ্হি দেৱালয়, ঢকুৱাখনা



ভীষ্মক নগৰৰ ধ্বংসাৱশেষৰ একাংশ, অৰুণাচল



ভীষ্মক নগৰৰ ধ্বংসাৱশেষৰ একাংশ, অৰুণাচল

# গ্ৰন্থপঞ্জী

## অসমীয়া গ্ৰন্থঃ


কাকতি, বাণীকান্ত - **কলিতা জাতিৰ ইতিবৃত্ত**, গুৱাহাটী, ১৯৪৩।

কোঁচ, জীৱনচন্দ্ৰ - **অসমীয়া ভাষাৰ অলঙ্কাৰ ফকৰা-যোজনা**, ডিব্ৰুগড়, ১৯৯৯।

খনিকৰ, সূৰ্য্যকান্ত - **চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি**, গুৱাহাটী, ২০০৩।

- **ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰাচীনত্ব আৰু সাংস্কৃতিক বিকাশ**, গুৱাহাটী, ২০০১।

- **স্বৰ্গভূমিৰ লোক বা চুতীয়া জাতি**, গুৱাহাটী, ১৯৮৯।

- **দেউকুবেৰ উৎসৱ**, গুৱাহাটী, ১৯৮৬।

গগৈ, লীলা - **অসমৰ সংস্কৃতি**, ডিব্ৰুগড়, ১৯৯৪।

- **অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা**, ডিব্ৰুগড়, ২০০১।

- **বুৰঞ্জী সাহিত্য**, গুৱাহাটী, ২০০২।

- **আহোম জাতি আৰু অসমীয়া সংস্কৃতি**, শিৱসাগৰ, ১৯৬১।

- **টাই সংস্কৃতিৰ ৰূপৰেখা**, ডিব্ৰুগড়, ১৯৯৪।

গগৈ, পদ্মেশ্বৰ - **অসমত প্ৰচলিত পৌৰাণিক আখ্যানসমূহৰ মূল বিচাৰ**, গুৱাহাটী, ১৯৭১।

গোহাঁই, প্ৰিয়ব্ৰত - **চুৎকিচন্দ্ৰৰ বংশাৱলী**, সংকলক পেচবৰ গোহাঁই, তিনিচুকীয়া, ১৯৯৫।

গোহাঁই বীৰেন্দ্ৰ, কুমাৰ - **মৰাণ জনগোষ্ঠী**, গুৱাহাটী, ১৯৯৫।

গোহাঁঞি বৰুৱা, পদ্মনাথ - **অসমৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৭৬।

- **অসমৰ সংক্ষিপ্ত বুৰঞ্জী**, কলিকতা, ১৮৯৮।

গোহাঁই, ভৱানন্দ - **শদিয়াৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৮৩।

গুহ, অমলেন্দু - **বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ**, গুৱাহাটী, ১৯৯৩।

গুহ, উপেন্দ্ৰচন্দ্ৰ - **কাচারের ইতিবৃত্ত**, শিলচৰ, ১৯৭১।

গোস্বামী, হেমচন্দ্ৰ - **হেমকোষ**, শিৱসাগৰ, ১৯৫৫।

ঐ (সম্পাদনা) - **পুৰণি অসম বুৰঞ্জী**, গুৱাহাটী, ১৯২২।

ঘোষ, বিনয় - **বাংলার নৱজাগৃতি**, কলকাতা, ১৯৯৩।

চফ্‌ৰী, ইৰফান - **বিশ্ব ইতিহাসৰ পোহৰত সাজোৰ কবিৰ গোঁসাই**, গুৱাহাটী, ১৯৯৯।

চুতীয়া, জয়ন্তী (সম্পা) - **সোণাৰাম চুতীয়া ঃ এজন অসাধাৰণ সাধাৰণ মানুহ**, গুৱাহাটী, ২০০০।

চুতীয়া, ললিত - **চুতীয়া জাতিৰ চমু পৰিচয়**, ধেমাজি, ২০০২।

চুতীয়া, ভৱকান্ত - **চুতীয়াসকল ঃ চমু ইতিবৃত্ত আৰু সাংস্কৃতিক পৰিচয়**, গোলাঘাট, ১৯৮৮।

চুতীয়া, গুণকান্ত - **চুতীয়া বুৰঞ্জীৰ অ'ত-ত'ত**, দুলীয়াজান, ১৯৯২।

তামুলীফুকন, কাশীনাথ - **অসম বুৰঞ্জীৰ সাৰ**, সম্পাদনা প্ৰতাপ চন্দ্ৰ চৌধুৰী, গুৱাহাটী, ১৯৬৪।

তামুলী, লক্ষ্মীনাথ (সম্পা) - **হলিৰাম ঢেকীয়ালফুকনৰ ৰচনাৱলী**, গুৱাহাটী, ২০০৫।

- **সৰ্বেশ্বৰ শৰ্মা কটকীৰ ৰচনাৱলী**, গুৱাহাটী, ২০০৪।

দত্ত, জয়ন্ত মাধৱ - **পৰম্পৰা আৰু প্ৰতিবাদ**, যোৰহাট, ২০০৫।

দত্ত, মনোৰঞ্জন - **অসমৰ উত্তৰ মধ্যযুগত অৰ্থনৈতিক উত্তৰণ আৰু সামন্ততান্ত্ৰিক স্খলন**, গুৱাহাটী, ২০০২।

দত্ত, শৰৎকুমাৰ (সম্পা) - **অসম বুৰঞ্জী (১৬৪৮-১৬৮১)**, গুৱাহাটী, ১৯৩৮।

দেৱগোস্বামী, কেশৱানন্দ (সম্পা)- **শ্ৰীমদ্‌ভাগৱত**, গুৱাহাটী, ১৯৯৯।

দেৱী, লক্ষ্মী - **অসম দেশৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৮৪।

দেৱী, মহাশ্বেতা - **অৰণ্যৰ অধিকাৰ**, অনুবাদ, মনোহৰ সেন, কলকতা, ১৯৮৭।

দেৱান, মণিৰাম - **বুৰঞ্জী বিবেক ৰত্ন**, সম্পাদনা, নগেন শইকীয়া, ডিব্ৰুগড়, ২০০২।

দেউৰী, ডম্বৰুধৰ - **দেউৰী সংস্কৃতি**, শিৱসাগৰ, ১৯৬৪।

দ্বীজ, হৰিনাৰায়ণ - **ঠাকুৰ চৰিত**, গুৱাহাটী, ১৯৯২।

ঢেকীয়ালফুকন, হলিৰাম - **আসাম বুৰঞ্জী**, ১৯২৯, সম্পাদনা, যতীন্দ্ৰ মোহন





ভট্টচাৰ্য্য, গুৱাহাটী, ১৯৬২।

নাথ, ভৱকান্ত (সম্পা) - **প্ৰত্নতাত্বিক ৰাজমোহন নাথৰ ৰচনাৱলী**, গুৱাহাটী, ২০০২।

নাথ, ডম্বৰুধৰ - **অসম বুৰঞ্জী**, গোলাঘাট, ১৯৮৮।

নেওগ, মহেশ্বৰ - **শ্ৰীশ্ৰী শঙ্কৰদেৱ**, গুৱাহাটী, ১৯৬০।

- **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, গুৱাহাটী, ১৯৭১।

ঐ (সম্পা) - **প্ৰাচ্য শাসনাৱলী**, কলিকতা, ১৯৭৪।

- **চন্দ্ৰকান্ত অভিধান**, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৭।

- **পবিত্ৰ অসম**, যোৰহাট, ১৯৬০।

নেওগ, প্ৰতাপ - **সৎফুলৰ দেশ**, গোলাঘাট, ২০০৫।

- **কুন্‌-ডিল কুন্‌লুং কুন্‌-মিং বিদৰ্ভ**, গোলাঘাট, ২০০০।

- **চুতীয়া জাতি আৰু জনা গাভৰুৰ গীত**, কমাৰগাঁও, ২০০২।

পাএগং কটকী, সোণাৰাম - **মিৰি জাতিৰ বুৰঞ্জী**, উত্তৰ লক্ষীমপুৰ, ১৯৩৫।

পেগু, নুমল - **মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি**, ডিব্ৰুগড়, ২০০৫।

- **মিছিং জনজীৱনৰ ৰূপৰেখা**, প্ৰবন্ধ সংকলন, গুৱাহাটী, ২০০৩।

- **অপাংক্তেয়**, ৰচনা সংকলন, ডিব্ৰুগড়, ২০০৪।

বৰা, আৰাধনা - **অসমৰ জনগোষ্ঠী আৰু বিবাহ উৎসৱ**, গুৱাহাটী, ২০০২।

বৰা, ৰামেশ্বৰ - **চাও চু-হুং-মুং স্বৰ্গদেৱ**, যোৰহাট, ১৯৯০।

বৰদলৈ, গোপীনাথ - **চুতীয়া বুৰঞ্জী**, নগাঁও, ১৯৫৮।

বৰদলৈ, নিৰ্মলপ্ৰভা - **দেৱী**, গুৱাহাটী, ১৯৮৯।

বৰবৰুৱা, হিতেশ্বৰ - **আহোমৰ দিন**, গুৱাহাটী, ১৯৮২।

বৰুৱা, কোযেশ্বৰ - **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, গুৱাহাটী, ২০০০।

- **জননেতা ভীমবৰ দেউৰী**, গুৱাহাটী, ২০০২।

- **চুতীয়া ৰজা ৰত্নধ্বজপাল**, গহপুৰ, ২০০৪।

ঐ (সম্পা) - **ছোট কোঁৱৰৰ বুৰঞ্জী**, গুৱাহাটী, ২০০৫।

বৰুৱা, সদৰামিন হৰকান্ত - **অসম বুৰঞ্জী**, সম্পাদনা, সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী, ১৯৬২।

বৰুৱা, ভীমকান্ত (সম্পা) - **চাংৰুং ফুকনৰ বুৰঞ্জী**, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯২।

বৰুৱা, গুণাভিৰাম - **অসম বুৰঞ্জী**, গুৱাহাটী, ২০০১।

বৰুৱা, বিৰিঞ্চি কুমাৰ - **অসমৰ লোক-সংস্কৃতি**, গুৱাহাটী, ২০০২।

বৰগোহাঞি, যতীন্দ্ৰকুমাৰ - **অসমৰ সাংস্কৃতিক ইতিহাস**, গোলাঘাট, ১৯৯২।

- **অসমৰ অৰ্থনৈতিক ইতিহাস**, যোৰহাট, ১৯৮৫।

ভট্টাচাৰ্য্য, জয়ন্তভূষণ - **কছাৰী ৰাজ্যৰ উত্থান আৰু পতন**, যোৰহাট, ১৯৯৩।

ভূঞা, সূৰ্য্যকুমাৰ - **স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ**, গুৱাহাটী, ১৯৭৫।

ঐ (সম্পা) - **অসম বুৰঞ্জী** (সুকুমাৰ মহন্তৰ ঘৰত পোৱা), গুৱাহাটী, ১৯৪৫।

- **অসমৰ পদ্য বুৰঞ্জী**, গুৱাহাটী, ১৯৬৪।

- **দেওধাই অসম বুৰঞ্জী**, গুৱাহাটী, ১৯৬২।

- **তুংখুঙীয়া বুৰঞ্জী**, গুৱাহাটী, ১৯৩২।

- **জয়ন্তীয়া বুৰঞ্জী**, গুৱাহাটী, ১৯৬৪।

- **কামৰূপৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৫৮।

- **কছাৰী বুৰঞ্জী**, গুৱাহাটী, ১৯৫১।

- **সাতসৰী অসম বুৰঞ্জী**, গুৱাহাটী, ১৯৬৪।

- **পাদশ্যাহ বুৰঞ্জী**, গুৱাহাটী, ১৯৩৫।

ভূঞা, নকুল চন্দ্ৰ - **বাৰ ভূঞাৰ চমু বুৰঞ্জী**, গুৱাহাটী, ১৯৯৬।

মেধি, কালিৰাম - **অসমীয়া ব্যাকৰণ আৰু ভাষা তত্ব**, গুৱাহাটী, ১৯৯৯।

মহন্ত, প্ৰফুল্ল - **অসমীয়া মধ্যবৃত্ত শ্ৰেণীৰ ইতিহাস**, গুৱাহাটী, ১৯৯১।

মহন্ত, প্ৰকাশ কুমাৰ (সম্পা)- **মাজুলী**, যোৰহাট, ২০০১।

ৰাজবংশী, পৰমানন্দ (সম্পা)- **অসমীয়া জাতি আৰু সংস্কৃতি**, গুৱাহাটী, ২০০৩।

ৰাজকুমাৰ, সৰ্বানন্দ - **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, যোৰহাট, ১৯৮০।

- **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, যোৰহাট, ১৯৬৪।

লেখাৰু, উপেনচন্দ্ৰ (সম্পা)- **কথা গুৰুচৰিত**, গুৱাহাটী, ১৯৮৭।

শইকীয়া, পৰনচন্দ্ৰ - **দেউৰী চুতীয়া**, যোৰহাট, ১৯৭৪।

শইকীয়া, ভ্ৰমৰচন্দ্ৰ - **চুতীয়া বুৰঞ্জী**, জাঁজি, ১৯২২।





- **সাধনী ৰাণী**, দেৰগাঁও, ১৯৯৪।

শইকীয়া, তোলনচন্দ্ৰ - **অসমৰ খণ্ড বুৰঞ্জী**, যোৰহাট, ১৯৭১।

শৰ্মা, যোগেন্দ্ৰনাথ - **অসমৰ নদ-নদী**, যোৰহাট, ১৯৯৩।

শইকীয়া, চক্ৰেন - **যোগী শিলাৰ নৌকা তোৰণ**, যোৰহাট, ২০০৩।

শৰ্মা, দেৱব্ৰত - **অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ**, যোৰহাট, ২০০৬।

শৰ্মা, বেণুধৰ - **মণিৰাম দেৱান**, গুৱাহাটী, ১৯৯৩।

- **বুৰঞ্জীৰ সফুৰা** (দ্বিতীয় খণ্ড), সম্পাদনা অজিত শৰ্মা, গুৱাহাটী, ১৯৮০।

শৰ্মা, নবীনচন্দ্ৰ (সম্পা) - **দৰং ৰাজবংশাৱলী**, গুৱাহাটী, ১৯৭৩।

- **শিৱ পুৰাণ**, গুৱাহাটী, ১ম প্ৰকাশ।

শৰ্মা, যজ্ঞেশ্বৰ (সম্পা) - **বেণুধৰ শৰ্মাৰ ৰচনাৱলী (মজিয়াৰ পৰা মেজলৈ)**, গুৱাহাটী, ১৯৮৬।

হাজৰিকা, ৰজনীকান্ত - **মঙ্গোলকছাৰী গুপ্ত ইতিহাস**, খোৱাং, ১৯৮৫।

**প্ৰবন্ধঃ**

আগৰৱালা, আনন্দচন্দ্ৰ - 'বৰাহ ৰাজ্য আৰু বৰাহ-মিহিৰ', **আলোচনী**, ৮ম বছৰ, ৮ম সংখ্যা, জেঠ, ১৮৩৯ শক।

গগৈ, লীলা - 'চুতীয়া ৰজাৰ বুৰঞ্জী', **স্মৃতিগ্ৰন্থ**, সদৌ চুতীয়া জাতি সন্মিলনৰ, চুতীয়া-কাঁড়ী, উত্তৰ লক্ষীমপুৰ, ১৯৭৯।

গগৈ, নিত্যানন্দ - 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ১৪৪৬ শক', **সোণাগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, গোগামোখ, ধেমাজি, ২০০২।

গগৈ, জীৰকান্ত - 'চুতীয়া জাতি', **সোণাগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, গোগামুখ, ধেমাজি, ২০০২।

গগৈ, সুনীল কুমাৰ - 'তিনিচুকীয়াৰ ঐতিহ্য আৰু আঞ্চলিক সাংস্কৃতিক বৈশিষ্ট্য', **স্মৃতিগ্ৰন্থ**, ৰূপালী জয়ন্তী, বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ, তিনিচুকীয়া, ২০০১।

দলে, ডিম্বেশ্বৰ - 'অসমৰ জনজাতি', **আমাৰ প্ৰতিনিধি**, ৫ম বছৰ, ৭ম সংখ্যা, ১৮৮৬ শক।

দলৈমিৰি, চাৰুচন্দ্ৰ - 'চুতীয়া মিৰি ও মিৰি শব্দৰ ব্যাখ্যা', **চেতনা**, ৫ম বছৰ, ৪ৰ্থ সংখ্যা, আঘোণ, ১৮৪৫ শক।

- 'মিৰি জাতি', **জেউতি**, ৪ৰ্থ বছৰ, ৫ম সংখ্যা, আঘোণ, ১৮৪৪ শক।

মন্দিৰৰ ভগ্নাৱশেষৰপৰা অনুমান হয় যে ইয়াত দেৱী বা শক্তি পূজাই প্ৰাধান্য পাইছিল। চুতীয়াসকল যিহেতুকে ঘাইকৈ শক্তিৰ উপাসক আছিল, তেওঁলোকৰ সংস্কৃতিৰ লগতো মালিনীথানৰ মন্দিৰৰ ঐতিহ্য মিলি পৰে।

সদিয়াৰপৰা প্ৰায় ১০ মাইল উত্তৰ-পূৱে দিকৰং আৰু দেওপানী নৈৰ সঙ্গমস্থলৰ ওচৰত বুঢ়া-বুঢ়ী মন্দিৰ অৱস্থিত। ই অতি পুৰণি মন্দিৰ। বুঢ়া-বুঢ়ীয়ে শিৱ-পাৰ্বতীক বুজায়। মন্দিৰটোৱে শক্তি-পূজাৰ নিদৰ্শন বহন কৰে। কৰ্ণেল হানেই ১৮৪৬ চনত যেতিয়া এই মন্দিৰ অঞ্চল পৰিভ্ৰমণ কৰে তেতিয়া তেওঁ বাহিৰে শিল আৰু ভিতৰফালে ইটাৰে নিৰ্মিত এখন দেৱালৰ মাজৰ এডোখৰ বহল ঠাইত ছয় কোণীয়া এখন বেদী দেখিছিল। বেদীৰপৰা অলপ দূৰত আৰু এখন দেৱাল আছিল আৰু দেৱালৰ বাহিৰত দ খাল আছিল। দুৱাৰৰ কোনো চিন নাই, কিন্তু বেদীৰ পশ্চিম ফালৰপৰা এটা ওখ বাট আছিল।[১৫৪] ১৯৩৯ চনত এই মন্দিৰটো পৰিদৰ্শন কৰা ডম্বৰুধৰ দেউৰীয়ে লিখিছে যে মন্দিৰৰ ওপৰ অংশৰ একো চিন নাই। মণিকূট আৰু মণ্ডপ (সাদুৰা)ৰ ভেটি দেখা যায়। বেৰ-ছাল নোহোৱা মণিকূটৰ পকা ভেটীৰ বেদীত বুঢ়া-বুঢ়ীৰ শিলৰ মূৰ্তি আছিল। ইয়াৰ সন্মুখৰ মণ্ডপ (সাদুৰা)ত বলিকটা বেদীৰ ঢিপ আছিল। কেওপিনে পকা ইটা আৰু চাৰিচুকীয়াকৈ কটা শিলৰ ছটাবোৰ সিঁচৰতি হৈ পৰি আছিল।[১৫৫] ২০০৪ চনৰ ডিচেম্বৰ মাহত যেতিয়া আমি এই মন্দিৰ পৰিদৰ্শন কৰিছিলো তেতিয়া ইয়াৰ চাৰিওফালে বহু বছৰ পুৰণি প্ৰকাণ্ড প্ৰকাণ্ড গছ-গছনিৰে ঠাইটুকুৰা বেৰি থকা দেখা পাইছিলো। মন্দিৰৰ ওচৰত এটা স্থায়ী ভেটী তৈয়াৰ কৰা হৈছিল। পুৰণি ভাগি যোৱা মন্দিৰৰ ভেটীৰ ওপৰতেই নতুন পূজা-মন্দিৰ নিৰ্মাণ কৰা হৈছে। স্থানীয় মানুহৰপৰা জানিবপৰা মতে দেউৰী পূজাৰীয়ে এতিয়াও তাত পূজা দি আছে।

দেউৰীসকলে পিশ্বাডেমা বা বলিয়াবাবা নামে আৰু এজন দেৱতা পূজা কৰে। এই দেৱতাৰ মন্দিৰো এই ঠাইতে তিনিচটা শিলৰ বেদী থকা এটা পূজা ঘৰত আছিল।

লখিমপুৰ নগৰৰপৰা প্ৰায় পাঁচ কিঃমিঃ পূবে অৱস্থিত ঘাৰমৰা সত্ৰ পৰিদৰ্শন কৰোঁতে আমি তাত চুতীয়া ৰজাই দান দিয়া এটা পিতলৰ দবা, কাঁহ, এটা জয়ঘণ্টা আৰু এখন দোলা সংৰক্ষণ কৰা দেখা পাইছিলো। সত্ৰখনত থকা জয়ঘণ্টাটোৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৭০ ছেঃমিঃ। তলৰ বহল অংশৰ ব্যাস প্ৰায় ২৫ ছেঃমিঃ। মিশ্ৰ ধাতুৰে নিৰ্মিত এই জয় ঘন্টাটোৰ ওজন প্ৰায় ২০ কিঃগ্ৰাঃ। ইয়াৰ বাহিৰফালে মাছ আৰু হৰ-গৌৰীৰ নক্সা কটা কাৰুকাৰ্য আছে। ঘণ্টাটোৰ ঠাৰিডালৰ মাজভাগত 'সত্যনাৰায়ণ' শব্দটো খোদিত আছে আৰু এই শব্দটোৰ আগেপিছে থকা আখৰবোৰ আৰু তাৰিখটো অস্পষ্ট ৰূপত আছে। তাৰিখটোৰ প্ৰথম দুটা সংখ্যা '১৩' বুলি ধৰিব পাৰি যদিও পিছৰ সংখ্যা দুটা প্ৰায় মচ খাই

---

[১৫৪] **পবিত্ৰ অসম**, সম্পাদিত মহেশ্বৰ নেওগ, যোৰহাট, ১৯৬০, পৃঃ ২১-২২।

[১৫৫] **দেউৰী সংস্কৃতি**, শিৱসাগৰ, ১৯৬৪,পৃঃ ৫৯।



গৈছে। 'সত্যনাৰায়ণ' শব্দটোৰ লগতে তাৰিখটোৰ প্ৰথম সংখ্যা দুটা এক আৰু তিনি (তেৰ/১৩) হোৱাত এই ঘন্টাটোযে চুতীয়া ৰজা সত্যনাৰায়ণ প্ৰদত্ত আছিল সেয়া প্ৰমাণ হয়।

**মুদ্ৰা ঃ** প্ৰত্নতাত্বিক সমলৰ ভিতৰত মুদ্ৰাও অন্যতম। কিন্তু চুতীয়া ৰজাসকলৰ কোনো মুদ্ৰা এতিয়ালৈকে পোৱা হোৱা নাই। অৱশ্যে আহোম স্বৰ্গদেউসকলৰ মুদ্ৰাও জয়ধ্বজ সিংহৰ ৰাজত্বকাল (১৬৪৮-১৬৬৩ খ্ৰীঃ)ৰ পৰাহে পোৱা হৈছে,[১৫৬] যদিওবা চুক্লেংমুং গড়গঞা ৰজাই (১৫৩৯-১৫৫২ খ্ৰীঃ) আহোম ভাষাত প্ৰথম মোহৰ মৰাইছিল।[১৫৭] কোনো কোনোৱে মটক ৰাজ্যৰ ৰজা সৰ্বানন্দ সিংহৰ মুদ্ৰাকে চুতীয়া ৰজাৰ মুদ্ৰা বুলি ক'ব খোজে। সৰ্বানন্দ সিংহ গোষ্ঠীগতভাৱে বুৰুক চুতীয়া হ'লেও তেওঁৰ ৰাজ্যখন প্ৰকৃত অৰ্থত চুতীয়া ৰাজ্য নাছিল। ১৮০৫ খ্ৰীঃত মটক ৰাজ্য নামেৰেহে আহোম চৰকাৰৰ পৰা ৰাজ্যখনে স্বীকৃতি লাভ কৰিছিল আৰু সৰ্বানন্দসিংহক মটকৰ বৰসেনাপতি উপাধি প্ৰদান কৰা হৈছিল। সেইবাবে ১৭৯৪-১৮০৫ খ্ৰীঃলৈকে ৰাজত্ব কৰা সৰ্বানন্দ সিংহ বৰসেনাপতিয়ে কোনো মুদ্ৰাতে নিজকে ভীষ্মক, কুবেৰ বা বিযুৎস্ব বংশোদ্ভৱ বুলি পৰিচয় দিয়া নাই। ইয়াৰ পৰিৱৰ্তে তেওঁৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ নামহে স্মৰণ কৰিছে। অদূৰ ভৱিষ্যতে যদি চুতীয়া ৰজাসকলৰ কোনো মুদ্ৰা পোহৰলৈ আহে তেনেহ'লে সি চুতীয়া ৰাজ্যৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা অধ্যয়ন কৰাত বিশেষ সহায়ক হ'ব।

## চুতীয়াসকলৰ গোষ্ঠী পৰিচয়

চুতীয়াসকল অসমৰ এচাম ভূমিপুত্ৰ। কোনো কোনো পণ্ডিতে তেওঁলোকক আৰ্যমূলীয় আৰু কোনো কোনোৱে প্ৰটো-অষ্ট্ৰলয়দ বা অষ্ট্ৰিক বুলি ক'ব খোজে। কিন্তু সৰহ সংখ্যক পণ্ডিতৰ মতে তেওঁলোক মঙ্গোলয়দ বা মঙ্গোলীয়। আনকথাত, তেওঁলোক অসমৰ বৃহৎ বড়ো গোষ্ঠীৰ অন্তৰ্গত।

ভাৰতত নৃতাত্বিক অধ্যয়নৰ সূচনা ইংৰাজ পণ্ডিতসকলেই কৰিছিল। গতিকে চুতীয়াসকলৰ গোষ্ঠী পৰিচয়ৰ ক্ষেত্ৰত ভাৰতীয় তথা অসমীয়া গৱেষকসকলৰ অভিমত আলোচনা কৰাৰ পূৰ্বে ইংৰাজ পণ্ডিতসকলে এইক্ষেত্ৰত কি কৈছিল তাক পৰীক্ষা কৰি চোৱা যাওক।

---

[১৫৬] N.G. Rhodes & S.K. Bose, **The Coinage of Assam**, vol.ii, Kolkata & Guwahati, 2004, p. 9.

[১৫৭] A.W. Botham, 'A Catalogue of Provincial Coin Cabinet, Assam', Allahabad, 1930, cited in সৰ্বানন্দ ৰাজকুমাৰ, **ইতিহাসে সোঁৱৰা ছশটা বছৰ**, পৃঃ ২১৯।

দলৈমিৰি, কাৰ্ক চন্দ্ৰ - 'মিৰি জাতি', **জেউতি**, ১ম বছৰ ৩য়-৪ৰ্থ সংখ্যা, ১৮৪৭ শক।

দেউৰী, ডম্বৰুধৰ - 'দেউৰী-চুতীয়াৰ বিহু', **স্মৃতিগ্ৰন্থ**, সদৌ চুতীয়া জাতি সন্মিলন, অসম।

দেউৰী, সোমেশ্বৰ - 'দেউৰী সম্প্ৰদায়', **আৱাহন**, ৭ম বছৰ, ২য় সংখ্যা, আঘোণ, ১৮৫৭ শক।

দেউৰী, বসন্ত কুমাৰ - 'দেউৰী সম্প্ৰদায়', **বাঁহী**, ১৮শ বছৰ, ১০ম আৰু ১১শ সংখ্যা, ১৮৫১ শক, মাঘ/ফাগুন।

দেউৰী, ভীমবৰ - 'দেউৰীবিলাকৰ বিষয়ে দুআখাৰ', **চেতনা**, ষষ্ঠ বছৰ, ৮ম সংখ্যা, ১৮৪৬ শক।

দেউৰী, লীলাকান্ত - 'সদিয়াৰ কথা' **ঘৰজেউতি**, ৪ৰ্থ বছৰ, ২য় সংখ্যা, পুহ, ১৮৫২ শক।

দত্ত বৰুৱা, শিশিৰ - 'বৰাহী জাতি', **বাঁহী**, ১৬শ বছৰ, ৫ম সংখ্যা, ভাদ, ১৮৪৮ শক।

নাওবৈচা ফুকন, পদ্মেশ্বৰ - অসম বুৰঞ্জী, সম্পাদনা লক্ষ্মীনাথ তামুলী, গুৱাহাটী,২০০৫

নেওগ, মহেশ্বৰ - 'সদিয়া-চেপাখোৱা তাম্ৰপত্ৰ ১৩৫০ শক', **সংজ্ঞা**, ২য় বছৰ, ২য় সংখ্যা।

পদ্মপতি, ৰজনী কুমাৰ - 'চুতীয়া জাতিৰ ইতিবৃত্ত', **আৱাহন**, ১ম সংখ্যা।

বৰুৱা, সৰ্বেশ্বৰ - 'চতুৰ্দশ শতিকাৰ চুটিয়া ৰাজত্ব', **মনিদীপ**, পঞ্চম বছৰ, সংখ্যা ১-৪, নৱেম্বৰ, ১৯৬৪, ফেব্ৰুৱাৰী, ১৯৬৫।

বৰদলৈ, ৰজনীকান্ত - 'শদিয়া ৰাজ্যৰ পুৰণি তত্ব', **ৰজনীকান্ত বৰদলৈৰ ৰচনা মালা**, সম্পাদনা হেমন্ত কুমাৰ শৰ্মা, যোৰহাট, ১৯৬৭।

মহন্ত, ৰত্নেশ্বৰ - 'চুটিয়া', **জোনাকী**, চতুৰ্থ ভাগ, ১ম আৰু ২য় সংখ্যা, ১৮১৩ শক।

ৰাজগুৰু, সৰ্বেশ্বৰ - 'কালিকা পুৰাণৰ দেৱী দিক্কৰ বাসিনী অঞ্চল', অসম সাহিত্য সভাৰ পত্ৰিকা, সপ্তবিংশ বছৰ, ২য় সংখ্যা, ১৯৮০।

ৰাভা, বিষ্ণুপ্ৰসাদ - 'অসমীয়া কৃষ্টি', **বিষ্ণু ৰাভাৰ ৰচনা সম্ভাৰ**, তেজপুৰ, ১৯৯৭, মুখ্য সম্পাদক যোগেশ দাস।

শৰ্মা, বেণুধৰ - 'চুতীয়া কৃষ্টি', **কুণ্ডিল**, পঞ্চম সংখ্যা, ২০০৫।

শৰ্মাকটকী, সৰ্বেশ্বৰ - 'চুতীয়া জাতিৰ সভ্যতা', **স্মৃতিগ্ৰন্থ**, সদৌ চুতীয়া জাতি সন্মিলন, অসম, চুতীয়া কাঁড়ী, উত্তৰ লক্ষীমপুৰ, ১৯৭৯।

শইকীয়া, মোহিনী - 'অসমৰ কুণ্ডিল, শদিয়া আৰু দেউৰী-চুতীয়া', **কুণ্ডিল**, ৪ৰ্থ সংখ্যা, গোলাঘাট, ২০০০।



- 'অসমৰ চুতীয়া জাতি ঃ এক সুকীয়া চিন্তা', **কুণ্ডিল**, ৩য় সংখ্যা, ১৯৯৭।

শইকীয়া, পূৰ্ণানন্দ - 'অসুৰ চুটিয়া সংস্কৃতি', স্মৃতিগ্ৰন্থ, ধেমাজি জিলা চুতীয়া জাতি সন্মিলন, ঢকুৱাখনা, ১৯৮৫।

শইকীয়া, তোলনচন্দ্ৰ - 'চুতীয়া বুৰঞ্জীৰ একআধ্যা', অসম সাহিত্য সভা পত্ৰিকা, ২য় বছৰ, ১৯৭১।

শাস্ত্ৰী, বিশ্বনাৰায়ণ - 'চুতীয়া জাতি আৰু শক্তি উপাসনা', স্মৃতিগ্ৰন্থ, সতী সাধনী দিৱস উদ্‌যাপন সমিতি, গুৱাহাটী, ১৯৯০।

**আলোচনী ঃ**

- অসম সাহিত্য সভা পত্ৰিকা
- আলোচনী
- অৰুনোদই
- আৱাহন
- কুণ্ডিল
- কাকডোঙা
- বাঁহী
- বিজুলী
- চেতনা
- জয়ন্তী
- জোনাকী
- মনিদীপ
- ঘৰজেউতি
- জেউতি
- সোণগিৰি
- সংজ্ঞা

**ENGLISH BOOKS:**

Acharyya, N.N. - **The History of Medieval Assam,** Guwahati, 1966.

Allen, B.C. - **Assam District Gazetteers**, Shillong, 1905-07.

Bareh, Hamlet - **The History and Culture of Khasi People**, Shillong, 1967.

Barua, B.K. - **A Cultural History of Assam, I**, Nowgong, 1951.

Barua, K. - **Rani Sadhani**, Gohpur, 2004.

Barua, K.L. - **Early History of Kamarupa**, Guwahati, 1966.

- **Studies in the History of Assam**, (ed) M. Neog, Jorhat-Gauhati, 1973.

Barua, G.C. - (tr. & ed.) **Ahom Buranji**, a chronicle of Assam in Tai-Ahom, Shillong, 1930.

Baruah, S.L. - **A Comprehensive History of Assam**, New Delhi, 1985.

Barpujari, H.K. et. al - (ed.) **Political History of Assam**, vol. I, Gauhati, 1977.

- (ed.) **The Comprehensive History of Assam**, Vol. III , Guwahati, 1994.

Bhattacharjee J.B. - **Social and Polity Formation in Pre-Colonial North-East India**, New Delhi, 1991.

Bhuyan, S.K. - **Anglo-Assamese Relations, 1771-1826**, Gauhati, 1974.

- **Lachit Barphukan and His Times**, Gauhati, 1947.

- **Studies in the History of Assam**, Gauhati, 1965.

- **Studies in the Literature of Assam**, Gauhati, 1962.

Bhuyan, A.C. et. al. - (ed.) **Political History of Assam, Vols. II & III**, Gauhati, 1978 & 1980.

Beal, S. - (tr.) **Life of Hiuen Tsiang**, London, 1914, Reprint, New Delhi, 1973.

Botham, A.W. - **A Catalogue of Provincial Coin Cabinet Assam**, Allahabad, 1930.

Butler, John - **A Sketch of Assam with some Account of the Hill Tribes**, London, 1847.

- **Travels and Adventures in the Province of Assam**, London, 1855.

Chatterji, S.K. - **The Place of Assam in the History and Civilization of India**, Gauhati University, 1970.

- **Kirata-JanaKrti**, Calcutta, 1951.

Choudhuray, P.C. - **The History of Civilization of the People of Assam to the Twelfth Century AD**, Gauhati, 1966.

Choudhury, H.N. - **The Kooch-Behar State**, Kooch-Behar, 1903.

Choudhury, J.N. - **Arunachal Panorama**, Itanagar, 1996.

Dalton, E.T. - **Descripitive Ethnology of Bengal**, Calcutta,1872.

Dani, A.H. - **Pre History and Proto History of Eastern India**, Calcutta, 1961.

Das, A. et. al. - **Flora of Assam, Vol. I, Part I**, Shillong, 1934.

Das, B.M. - **The People of Assam**, New Delhi, 2003.

Dasgupta, N.N. - **Indian Culture, Vol. II.**

Dasgupta, S.B. - **Obscure Religious Cults**, Culcutta, 1946.

Devi, L. - **Ahom Tribal Relations**, Gauhati, 1968.

Dutta, J.C. - **Malinithan**, Government of Arunachal Pradesh, **Itanagar, 1997.**

Dutta, B.N. - **Folklore and Historiography**, Chennai, 2002.



Dutta, S. - **The Mataks, The Morans and the Moamaria Rebellion**, New Delhi, 1996.

Choudhuray, S. Dutta -(ed.) **Gazetteer of India, Arunachal Pradesh, Lohit District**, Government of Arunachal Pradesh, 1978.

Elias, Ney - **Introductory Sketch of the History of the Shans in Upper Burma and Western Yunnan**, Calcutta, 1876.

Elliot and Dowson - **History of India as Told by Its Own Historians, vol. VIII**, Allahabad, 1964.

Elwin, Verrier - **A Philosophy of NEFA**, Shillong, 1950.

Gait, E.A. - **A History of Assam**, Reprint, Gauhati, 1981.

- **The Koch Kings of Kamrupa**, Calcutta, 1895 (Originally published in JASB, 1890, Part I, No. I).

- **Report on the Progress of Historical Research in Assam**, Shillong, 1897.

Ghose, M.N. - **Religious Beliefs of the Assamese People**, Shillong, 1896.

Goswami, H.C. (ed.)- **A Descriptive Catalogue of Assamese Menuscripts**, Calcutta, 1930.

Goswami, P.C. - **The Economic Development of Assam**, Bombay, 1963.

Gogoi Nath, J. - **Agrarian System of Medieval Assam**, Delhi, 2002.

Gogoi, P. - **The Tai and the Tai Kingdoms**, Gauhati, 1968.

Gohain, U.N. - **Assam under the Ahoms**, Jorhat, 1942.

Grierson, G.A. - **Linguistic Survey of India**, Vol. I, Delhi, 1968.

Guha, A. - **Planters' Raj to Swaraj**, New Delhi, 1977.

Hamilton, F.B. - **An Account of Assam**, (ed.) S.K. Bhuyan, DHAS, Gauhati, 1963.

Hall, D.G.E. - **A History of South East Asia**, London, 1955.

Henri J.M. Claessen & Peter Skalnik (ed.) - **The Early State**, The Hague, 1978.

Hunter, W.W. - **A Statistical Account of Assam, 2 Vols.**, London, 1879.

Kakati, B.K. - **The Mother Goddess Kamakhya**, Gauhati, 1978.

(ed.) - **Aspect of Early Assamese Literatore**, Gauhati University, 1953.

Kosambi, D.D. - **An Introduction to the Study of Indian History**, Bombay, 1956.

Kulke, Herman - (ed.) **The State in India 1000-1700**, New Delhi, 2004.

Levi, S. & J. Block - **Pre-Aryan and Pre-Dravidian in India**, (tr.) P.C. Bagchi, Calcutta, 1929.

চুতীয়াসকলৰ গোষ্ঠী পৰিচয় সম্পৰ্কে সম্ভৱতঃ প্ৰথমে উল্লেখ কৰা ইংৰাজ পণ্ডিতজন হ'ল ফ্ৰেন্সিচ্ বুকানন হেমিলটন (Francis Buchanan Hamilton)। তেওঁ ভাৰতৰ গভৰ্ণৰ জেনেৰেলৰ কাউন্সিলৰ নিৰ্দেশত ১৮০৭ চনৰ পৰা ১৮১৪ চনলৈ বঙ্গ প্ৰেচিডেন্সিৰ কাষত থকা অঞ্চলবিলাকৰ বিষয়ে অনুসন্ধান কৰিছল আৰু তাৰে এটা ফলশ্ৰুতি আছিল **An Account of Assam** নামৰ অসম সম্পৰ্কীয় বিৱৰণ।[১৫৮] হেমিল্টনে অৱশ্যে অসমলৈ আহি ক্ষেত্ৰ অধ্যয়ন কৰা নাছিল। অসম ভ্ৰমণ কৰা বংগদেশৰ কেইজনমান স্থানীয় বাসিন্দা আৰু বংগদেশত শৰণাৰ্থী হৈ থকা অসমীয়া মানুহৰ পৰাই তেওঁ তথ্য সংগ্ৰহ কৰিছিল। তেওঁৰ বিৱৰণ মতে 'কলিয়াবৰৰ পূবে আহোমসকলৰ পিছতে সংখ্যাগৰিষ্ঠ জনজাতিটো হ'ল চুতীয়া। তেওঁলোক হিন্দু আৰু আহোম নামেৰে দুটা ভাগত বিভক্ত। হিন্দু-চুতীয়াসকলে তেওঁলোকৰ পূৰ্বৰ বহুতো অশুচি নীতি-নিয়ম এৰি পেলাইছে আৰু নিম্নশ্ৰেণীৰ ব্ৰাহ্মণসকলক তেওঁলোকৰ গুৰু হিচাপে গ্ৰহণ কৰিছে। আহোম-চুতীয়াসকলে এতিয়াও পূৰ্বৰ নীতি-নিয়মকে মানি দেওধাইসকলৰ শৰণাগত হৈ আছে'।[১৫৯] জন মেক্‌ক'ছ (John M'Cosh)-ৰ ১৮৩৭ চনত প্ৰকাশিত **Topography of Assam** নামৰ গ্ৰন্থত পৰ্বতীয়া জনজাতিসকলৰ তালিকাত ৰাভা, লালুং আৰু মিকিৰসকলৰ লগতে চুতীয়াসকলকো অন্তৰ্ভুক্ত কৰিছে। তেওঁৰ মতে, এই আটাইকেইটা জনগোষ্ঠীয়েই সংখ্যালঘু; তেওঁলোকৰ নিগাজী বাসস্থান নাই আৰু ৰাজ্য গঠন কৰিব পৰাকৈ জনবলো নাই। সেইবাবে তেওঁলোকে নিজৰ মৰ্জি আৰু সুবিধা অনুযায়ী কেতিয়াবা ইখন আৰু কেতিয়াবা সিখন ৰাজ্যৰ আনুগত্য স্বীকাৰ কৰি লয়।[১৬০] মেক্‌ক'ছৰ এই মন্তব্য অৱশ্যে গ্ৰহণযোগ্য নহয়; কাৰণ, চুতীয়াসকল অসমৰ এটা খিলঞ্জীয়া জনগোষ্ঠী। উজনি অসমৰ এক খণ্ডত তেওঁলোকে নিগাজীকৈ বসবাস কৰিছিল আৰু সদিয়াক কেন্দ্ৰ কৰি প্ৰাচীন কালতে এখন ৰাজ্য গঢ়ি তুলিছিল। তেওঁলোকৰ ৰাজনৈতিক

[১৫৮] এই বিৱৰণ প্ৰথমে লণ্ডনৰ **Annals of Oriental Literature** নামৰ আলোচনীত ১৮২০ চনত প্ৰকাশ হৈছিল। ইয়াৰে অধিকাংশ মন্ট্‌গ'মাৰী মাৰ্টিন (Montgomary Martin)ৰ **Eastern India**, vol.iii -ত প্ৰকাশ হৈছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে ড° সূৰ্য্য কুমাৰ ভূঞা সম্পাদিত এই বিৱৰণটো গ্ৰন্থ হিচাপে ১৯৪০ চনত প্ৰকাশ কৰে।)

[১৫৯] In the parts east from Koliyabar the tribe next most numerous is called Chutiya, and is divided into two classes, called Hindu and Ahom. The former have abandoned many of their impure customs, and have received degraded (Varna) Brahmans as their spiritual guides. The latter wallow in their impurity, and adhere to the Deodhaings.,1963,p.53.

[১৬০] Besides the tribes on the south of Assam already ennumerated, there are several others, which have no very fixed habitations: these are, the Rabhas, Lalungs, Chooteas, and Mikirs. Neither of them are numerous enough to have any Government of their own, and they attach themselves sometimes to one State and sometimes to another, as it suits their taste or convenience.p.166.



অৱস্থিতি যোল্ল শতিকাৰ আগভাগলৈকে বৰ্ত্তি আছিল। পৰৱৰ্তী কালত অসম ৰাজ্যৰ প্ৰজা হিচাপে আহোম প্ৰশাসনত তেওঁলোকে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। উইলিয়াম ৰবিনচন (William Robinson)ৰ মতে, 'সম্ভৱতঃ চুতীয়াসকলো আহোমসকলৰ দৰে টাই-শান গোষ্ঠীৰ। অৱশ্যে তেওঁলোকে কেতিয়া অসমলৈ প্ৰব্ৰজন কৰিলে সেই কথা বিচাৰ কৰাটো এতিয়া এটা বৃথা প্ৰচেষ্টা। ৰাভা, কছাৰী, চুতীয়া, মিকিৰ লালুং আদি জনজাতিৰ বুজনসংখ্যক লোক মূলতঃ দাঁতিকাষৰীয়া পৰ্বত বিলাকৰপৰা ভৈয়ামলৈ নামি অহা। লক্ষীমপুৰৰ বহুতো অধিবাসীয়ে আজিও নিজকে চুতীয়া বুলি কয় কিন্তু আমি জনামতে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছত তেওঁলোকে নিজৰ আদিম ভাষাটোৰ লগত সকলো প্ৰকাৰৰ সম্পৰ্ক হেৰুৱাই পেলায়। বৰ্তমান তেওঁলোকৰ আৰু অসমৰ বাকী অধিবাসীসকলৰ মাজত কোনোধৰণৰ পাৰ্থক্য নাই।'[১৬১] কৰ্ণেল ই. টি. ডেল্টন (Colonel E. T. Dalton) য়ে তেওঁৰ **Descriptive Ethnology of Bengal** (1872) নামৰ গ্ৰন্থত চুতীয়াসকলক বিহিয়া আৰু লালুং জনজাতিৰ সমগোত্ৰীয় বুলি কৈছে। তেওঁৰ মতে উজনি অসমৰ লালুং জনজাতিটোৱে চুতীয়া বংশোদ্ভৱ বুলি দাবী কৰাৰ পৰিপ্ৰেক্ষিতত সকলো লালুংলোক চুতীয়া হোৱাটো অসম্ভৱ নহয়।[১৬২] তেওঁ অৱশ্যে এই কথাও উল্লেখ কৰিছে যে 'আহোমসকল অহাৰ বহু আগেয়েই তেওঁলোকে হিন্দুধৰ্ম আৰু সংস্কৃতি গ্ৰহণ কৰিছিল। আহোমসকলৰ দৰে চুতীয়াসকলক এতিয়া বিশুদ্ধ হিন্দুলোকৰপৰা পৃথক কৰিব নোৱাৰি আৰু সেইবাবেই কৰ্ণেল হান্নেই (Colonel Hannay)য়ে উজনি অসমৰ পুৰাতত্ব বিষয়ক এটা প্ৰবন্ধত তেওঁলোকক কামৰূপৰ অৱশিষ্ট ক্ষত্ৰিয় কুলৰ কলিতাসকলৰ সৈতে একে বুলি কৈছিল। চুতীয়াসকলৰ গাৰ বৰণ পাতল জলফাই ৰঙৰ আৰু দেহৰ গঠন নিয়মীয়া। অৱশ্যে তেওঁলোকৰ সৰহসংখ্যকৰে মুখ বহল আৰু নাকো ইমান জোঙা নহয় বা চকুও সিমান ডাঙৰ নহয়।

[১৬১] The Chutiyas were probably, like the Ahoms, the descendants of a Shyan family; though the period of their emigration it is now in vain to look for .... A large mass of the population consists of tribes who originally descended from the hills in the neighbourhood, such as Rabhas, Kacharis, Chutiyas, Mikirs, and Lalongs .... Many of the inhabitants of Lakimpur still call themselves Chutiyas; but having now embraced Hinduism, and, as far as we have learnt, lost all traces of their original language, there is no longer any mark of distinction between them and the rest of the inhabitants., **A Descriptive Account of Assam**,1841,reprint,Delhi,1975,pp.162, 252, 323.

[১৬২] The tribe called Bihiya are of the same family, and as a tribe of Lalongs in Upper Asam claim to be of Chutia descent, it is not unlikely that all the Lalongs are Chutias., reprinted with the new title **Tribal History of Eastern India**, pp.77f.

গতিকে তেওঁলোকক আৰ্যসম্ভূত বুলি ক'ব নোৱাৰি। অসমৰ বৰ্ণবাদৰ জখলাত হিন্দু জাতি হিচাপে তেওঁলোকৰ অৱস্থান নিম্ন আৰু তেওঁলোক যে ম্লেচ্ছ বা অনাৰ্য নহয় সেই কথা দেখুৱাবলৈ তেওঁলোকে নিজকে হিন্দু চুতীয়া বুলি পৰিচয় দিয়ে। তেওঁলোকৰ ভাষা সম্পৰ্কে কোনো কথা পোহৰলৈ অহাৰ পূৰ্বেই লখিমপুৰৰ ডিক্ৰং নদীৰ পাৰত থকা দেউৰী-চুতীয়া নামৰ এটা জনগোষ্ঠী পোৱা গৈছিল। তেওঁলোকে যিটো আচহুৱা ভাষা কৈছিল সেই ভাষাটো তেওঁলোকে চুতীয়া বুলি কৈছিল আৰু জাতি হিচাপে তেওঁলোক দেউৰী বুলি পৰিচয় দিছিল, কাৰণ, সদিয়াৰ আগাৰিত অৱস্থিত প্ৰখ্যাত তাম্ৰেশ্বৰী মাইৰ মন্দিৰৰ তেওঁলোক পূজাৰী আছিল আৰু এই মন্দিৰত প্ৰতিবছৰে নৰবলি দিয়া হৈছিল। এই জনগোষ্ঠীৰে আন এটা বসতিস্থান কৰ্ণেল হান্নেই উজনি অসমৰ অতি ভিতৰুৱা অঞ্চলত পাইছিল আৰু তেওঁলোকে কোনোবা কালী মন্দিৰত পুৰোহিতালী কৰিছিল। যদিহে দেউৰীসকলে কোৱা ভাষাটো সঁচাকৈ চুতীয়া ভাষা হয় তেনেহ'লে ভাষাগতভাৱে তেওঁলোকৰ গাৰো আৰু বড়োসকলৰ লগত মিল থকাৰ কথা প্ৰমাণ কৰে'।[১৬৩] এই একেজন পণ্ডিতৰ মতে, চুতীয়াসকলৰ আদি বসতিস্থান আছিল সোৱণশিৰীৰ আগাৰিত অথবা নদীখনৰ পাহাৰীয়া গতিপথৰ দাঁতিত। আদি (আবৰ) আৰু মিচিং (মিৰি)সকলৰ দৰে তেওঁলোকেও ওখ পাহাৰৰ ওপৰত ডাঙৰ ডাঙৰ একোখন

[১৬৩] The Chutias, long before the appearance of the Ahams, had adopted Hindu customs, and placed themselves under the tutelage of Brahmanical priests; they are now therefore less distinguishable from the Hindus of pure extraction than are the Ahams, and I find from a note to an article on the antiquities of Upper Asam, by the late colonel Hannay, that he classed them with the Kolitas as a remnant of the old Kshettrya race of Kamrup.

The Chutias are of a light olive complexion, with rather regular features; but there is generally amongst them a flatness of face and a want of sharpness in the features, which militates against the theory of their Aryan origin; moreover, they rank low as a Hindu caste in Asam, and they call themselves 'Hindu Chutia', to show that they are no longer 'Mlechchas'. It was long before anything was discovered of their language; but an isolated colony on the river Dikrung in Lackimpur, calling themselves 'Deori Chutia', were found, who had a peculiar language which they called Chutia, and they were styled Deoris, because they had been attached as priests to a certain temple, formerly of great celebrity, above Sadya, called the Tamasuri Mai, where human sacrifices were yearly offered. Another colony of the same tribe was found by Colonel Hannay occupying a very remote position in Upper Asam, and still performing the priestly duties of a certain shrine dedicated to Kali. If the dialect spoken by these Deoris be truly the language of the Chutias, it proves the linguistic affinities of the tribe to be with the Garo and Bodo.)-**Tribal History of Eastern India**,p.78.



স্বাধীন গাঁও পাতি বাস কৰিছিল।[১৬৪] নেই এলিয়াচ (Ney Elias)য়ে তেওঁৰ Introductory Sketch of the History of the Shans in Upper Burma and Wester Yunnan (1876) নামৰ গ্ৰন্থত (**p.61**) সন্নিবিষ্ট টোকাত এখন অসমীয়া বুৰঞ্জী পুথিৰ তথ্যৰপৰা কৈছে যে উজনি অসমত তিনিটা হিন্দু জাতিয়ে বসবাস কৰি আছিল - চুত্যা বা চুতীয়া, বৰাহী আৰু মৰাণসকল। ... কিন্তু চুতীয়াসকল শাসকীয় গোষ্ঠী আৰু বাকী দুয়োটা তেওঁলোকৰ বশৱৰ্তী আছিল।[১৬৫]

ব্ৰাউনে **দেউৰী চুতীয়া গ্ৰামাৰ** নামৰ গ্ৰন্থখনত দেউৰী-চুতীয়াসকলৰ পৰিচয় দিবলৈ গৈ কৈছে যে তেওঁলোক বৰ্তমান উজনি অসমৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত বসতি কৰা এটা সৰু আৰু আছুতীয়াকৈ থকা জনজাতি। তেওঁলোকৰ নামটোৱেই সূচায় যে তেওঁলোক চুতীয়াসকলৰ পুৰোহিত আছিল।[১৬৬] গ্ৰন্থখনৰ পাতনিৰ প্ৰথম পৃষ্ঠাৰ পাদটীকাতে তেওঁ কৈছে যে মানুহখিনি সাধাৰণভাৱে দেউৰী বুলি পৰিচিত, কিন্তু তেওঁলোকৰ ভাষাটো চুতীয়া বুলিহে বেছিকৈ জনাজাত।[১৬৭] দেউৰী-চুতীয়াসকল ওখ, হৃষ্ট-পুষ্ট লোক আৰু তেওঁলোকৰ দৈহিক গঠন কছাৰীসকলৰ সৈতে একে। ভাষাৰ ফালৰপৰাও চুতীয়া আৰু কছাৰী ভাষাৰ মাজত বহুখিনি মিল আছে।[১৬৮] ব্ৰিটিছ আমোলৰ লোকপিয়লবিলাকত ভাষাৰ তালিকাত চুতীয়া ভাষাটো ধৰা হৈছে। দেউৰী ভাষাৰ স্বকীয় অস্তিত্ব দেখুওৱা হোৱা নাই।[১৬৯]

উপৰোক্ত সকলোবোৰ পণ্ডিতে চুতীয়াসকলক বড়ো গোষ্ঠীৰ লোক বুলি কৈছে। আনহাতে উইলিয়াম উইলচন হাণ্টাৰৰ **A Statistical Account of Assam** (1881) ত চুতীয়াসকলক শান জনজাতিৰ এটা ঠাল বুলি উল্লেখ কৰা হৈছে। তেওঁলোকে এটা সময়ত অসমৰ থলুৱা শাসক গোষ্ঠীক ওফৰাই পঠিয়াইছিল, কিন্তু পিছত তেওঁলোক নিজেই আহোমসকলৰদ্বাৰা পদানত হ'ল।[১৭০] এইখন গ্ৰন্থৰে আন এঠাইত কোৱা হৈছে

[১৬৪] Dalton, 'Sketch of the History of the Chutia Kings', incorporated in W.B. Brown, **An Outline Grammar of the Deori-Chutiya Language**,p.77.

[১৬৫] There were three races inhabiting the country, all of Hindoo origin, *viz.*, the Sutya or Chutya, the Burahi (or pig race), and the Moran, ... But the Sutya was the ruling tribe, and the other two subordinate to it.

[১৬৬] The Deori-Chutiyas are a small and secluded tribe in the Lakhimpur and Sibsagar districts of Upper Assam ... As the name implies, they are the representatives of the priestly or Levite class among the Chutiyas,..Introduction,p.i.

[১৬৭] The people are generally called Deoris simply; the language is more properly known as Chutiya.

[১৬৮] p.1.

[১৬৯] **Census of India,1901**, vol.IV-A, part-II,p.19; **1921**, vol. III, part I, pp. 123, 125; **1931**, first reprint in India, 1989, vol. I, pp. 355, 371.

[১৭০] Chutiya; said to be a branch of the Shan tribe, who, having overthrown the native dynasty of Assam, were themselves in turn conquered by the Ahoms., p.34.

## লেখকসকলৰ পৰিচয়

ড° স্বৰ্ণলতা বৰুৱা : অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপিকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসন, বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

ড° ডম্বৰুধৰ নাথ : প্ৰাধ্যাপক, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসন, বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

ড° জাহ্নৱী গগৈ নাথ : মূৰব্বী প্ৰাধ্যাপিকা, বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

ড° আনন্দ বৰমুদৈ : ৰীডাৰ, ইংৰাজী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

শ্ৰী মৃদুপৱন গোস্বামী : প্ৰাক্তন অধ্যক্ষ, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, যোৰহাট।

ইচমাইল হুচেইন : প্ৰৱক্তা, আই. টি. আই., গুৱাহাটী।

শ্ৰী জিতেন চুতীয়া : অৱসৰপ্ৰাপ্ত অধ্যক্ষ, হাৰ্হি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ঢকুৱাখনা।

ড° সৰ্বেশ্বৰ চুতীয়া : উপাধ্যক্ষ, ধেমাজি মহাবিদ্যালয়, ধেমাজি।

ড° বেণু গগৈ : মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট।

শ্ৰী ভৱকান্ত চুতীয়া : অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক, ৰাজনীতি বিভাগ, দেৱৰাজ ৰায় মহাবিদ্যালয়, গোলাঘাট।

ড° খগেনচন্দ্ৰ ফুকন : অৱসৰপ্ৰাপ্ত অধ্যাপক, ৰাজনীতি বিভাগ, দেৱৰাজ ৰায় মহাবিদ্যালয়, গোলাঘাট।

শ্ৰী কোযেশ্বৰ বৰুৱা : প্ৰাক্তন অধ্যক্ষ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ।

ড° প্ৰদীপ শৰ্মা : অধ্যক্ষ, বিবেকানন্দ কেন্দ্ৰ, গুৱাহাটী।

ড° দেৱব্ৰত শৰ্মা : অধ্যাপক, ইংৰাজী বিভাগ, যোৰহাট মহাবিদ্যালয়।

শ্ৰী মানিক শইকীয়া : অধ্যাপক, অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট।

শ্ৰী অভিজিৎ বৰুৱা : মূৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ, কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়।

ড° অজিৎ বৰা : প্ৰাক্তন মূৰব্বী অধ্যাপক, চাহ বিজ্ঞান আৰু প্ৰযুক্তিকৰ বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

শ্ৰী প্ৰশান্ত কুমাৰ চুতীয়াঃ বিষয় শিক্ষক, ইংৰাজী বিভাগ, কোঁৱৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিৱসাগৰ।

শ্ৰী যতীন চুতীয়া : অধ্যাপক, ৰাজনীতি বিভাগ, মৰাণ মহাবিদ্যালয়, মৰাণ।

শ্ৰী জিতু খনিকৰ : গৱেষণা সহায়ক, চুতীয়া জাতিৰ বুৰঞ্জী।

শ্ৰী নৃপেন শইকীয়া : গৱেষণা সহায়ক, চুতীয়া জাতিৰ বুৰঞ্জী।

যে চুতীয়াসকল প্ৰাক্ আহোম যুগৰ অসমৰ এচাম আদিম অধিবাসী। পিছত তেওঁলোকৰ বহুতেই হিন্দুধৰ্ম গ্ৰহণ কৰে আৰু চুতীয়া জাতি হিচাপে হিন্দু সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হয়।[১৭১]

**Imperial Gazetteer of India** ত চুতীয়াসকলক বড়ো গোষ্ঠীৰ এটা জনজাতি (a tribe of Bodo origin)[১৭২] আৰু বি. চি. এলেন (B. C. Allen)ৰ District Gazetteers বিলাকতো চুতীয়াসকলক বৃহৎ বড়ো গোষ্ঠীৰ সদস্য (members of the great Bodo race) বুলি কোৱা হৈছে।[১৭৩] তেনেকৈয়ে ১৮৮১ চনৰ লোকপিয়লতো চুতীয়াসকলক উজনি অসমৰ অতি পুৰণি বাসিন্দা বুলি পৰিচিত কৰিছে। দেউৰী-চুতীয়াসকলে কোৱা ভাষাটো কছাৰীসকলৰ ভাষাৰ লগত যথেষ্ট মিল থকা হেতু চুতীয়াসকলক বড়ো জনজাতিৰ এটা শাখা হিচাপে চিনাক্ত কৰিব পাৰি বুলি কৈছে।[১৭৪] এই পিয়লত চুতীয়াসকলৰ চাৰিটা ভাগৰ কথা কোৱা হৈছে - হিন্দু, আহোম, বৰাহী আৰু দেউৰী। ইয়াৰে প্ৰথম দুটা ভাগ সম্পূৰ্ণৰূপে হিন্দুকৃত। তৃতীয় ভাগটো সংখ্যালঘু হ'লেও নিজৰ আদিম ধৰ্ম পন্থাকে বহুখিনি মানি চলে। তেওঁলোক চাং বৰাহী আৰু মাটি বৰাহী এই দুভাগত বিভক্ত। চাং বৰাহীবিলাকে তেওঁলোকৰ জাতীয় নিয়ম অনুসৰি চাংঘৰত বাস কৰে আৰু মাটি বৰাহীবিলাকে আন হিন্দু লোকৰ দৰে মাটিৰ ওপৰত সজা ঘৰত বাস কৰে। আদিম চুতীয়াসকলৰ ভিতৰত শ্ৰেষ্ঠ হ'ল তেওঁলোকৰ পুৰোহিত দেউৰীসকল। এই দেউৰীসকলৰ বসতি স্থান, সামাজিক জীৱন, ধৰ্মীয় ৰীতি-নীতি আৰু তেওঁলোকৰ পৰম্পৰা সম্পৰ্কত এই লোকপিয়লত যথেষ্ট বিস্তৃত আলোচনা আছে।[১৭৫] এই পিয়লমতে, তদানীন্তন অসম উপত্যকাৰ ছখন জিলা (গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লক্ষীমপুৰ)ত চুতীয়ালোকৰ সংখ্যা আছিল ৫৯,১৬৩ জন, ১৮৭২ চনত এই সংখ্যা আছিল ৫১,৪৮২ জন।[১৭৬] চিলেটতো ১৮৮১ চনত ১০৭৯ জন চুতীয়ালোক আছিল।[১৭৭]

---

[১৭১] The Chutias are supposed to represent the aboriginal race who inhabited the country before its conquest by the Ahoms. Many of them were subsequently converted to Hinduism, and hence the caste known as Chutia., p.240.

[১৭২] Reprint of the revised second edition, 1907-1909, New Delhi, date of publication is not mentioned, vol.vi,p.42.

[১৭৩] **Sadiya and Balipara Frontier Tract Gazetteers**,1928,p.16; **Lakhimpur District Gazetteer**,1905,p.19.

[১৭৪] The Chutiyas are very old inhabitants of Upper Assam ... The language spoken by the Deori-Chutiyas has a strong affinity with Kachari, and the Chutiyas may, therefore, be regarded as a branch of the Bodo race., **On the Castes and Tribes of Assam, Report of the Census of Assam, 1881**; chapter-vi, **Census of India,1961**,vol.iii,Assam,partV-A,Delhi,1964,pp.16ff.

[১৭৫] *ibid.*

[১৭৬] p.17.

[১৭৭] *ibid.*



১৮৯১ চনৰ লোকপিয়লত আকৌ চুতীয়াসকলক অৰণ্য আৰু পৰ্বতীয়া জাতি (Forest and Hill Tribes) ৰ তালিকাত অন্তৰ্ভূক্ত কৰিছে।[১৭৮] এইটো লোকপিয়লৰ মতে (p.62), ইয়াৰ আগৰ এটা দশকৰ ভিতৰত (১৮৮১-১৮৯১) কেৱল বৰাহীসকলেই নহয়, দেউৰীসকলো হিন্দুধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ পৰে। ইয়াৰ পিছৰ পিয়লকেইটাত চুতীয়াসকলক জনজাতিৰ তালিকাভুক্ত কৰাৰ বাহিৰে উল্লেখনীয় কোনো নতুনত্ব নাই। ১৮৭০ খ্ৰীঃৰ পৰা আৰম্ভ কৰি ১৯২১ খ্ৰীঃ পৰ্যন্ত ব্ৰিটিছ আমোলত হোৱা লোকপিয়লবিলাকত চুতীয়া লোকৰ সংখ্যা তলৰ তালিকাখনত দেখুওৱা হৈছে।[১৭৯]

**ব্যক্তিৰ সংখ্যা**

| ১৯২১ | ১৯১১ | ১৯০১ | ১৮৯১ | ১৮৮১ | ১৮৭২ |
|---|---|---|---|---|---|
| ৯৬০০০ | ৮৯০০০ | ৮৬০০০ | ৮৮০০০ | ৬০০০০ | ৫১০০০ |

১৯২১ খ্ৰীঃৰ পৰৱৰ্তী লোকপিয়লবোৰত জাতিবিলাকৰ জনসংখ্যা বেলেগকৈ দেখুওৱা হোৱা নাই। ১৯৪১ চনত দ্বিতীয় মহাসমৰ চলি থকা হেতু পূৰ্বৰ দৰে প্ৰণালীবদ্ধ লোকপিয়ল নহ'ল। স্বাধীনতাৰ পৰৱৰ্তী কালত হোৱা লোকপিয়লত জাতিৰ বিভাগ দেখুওৱা হোৱা নাই।

স্বাধীনতাৰ পৰৱৰ্তী কালত অসম চৰকাৰে প্ৰস্তুত কৰা **District Gazetteer** বিলাকত চুতীয়াসকলক কোচ আৰু আহোমসকলৰ দৰে ভৈয়ামৰ জনজাতি বুলি কোৱা হৈছে। তেওঁলোকৰ চেহেৰা-পাতিয়ে তেওঁলোকক মঙ্গোলীয় লোক বুলি কয়। তেওঁলোকৰ পুৰোহিত দেউৰীসকলে এতিয়ালৈকে ৰক্ষা কৰি থকা ভাষাটো বড়ো গোষ্ঠীৰ ভাষা আৰু সম্ভৱতঃ চুতীয়াসকল গাৰো, কছাৰী আৰু টিপেৰাসকলক সাঙুৰি লোৱা বিশাল বড়ো গোষ্ঠীৰে এটা শাখা।[১৮০]

১৯০৫ চনত চাৰ এডৱাৰ্ড গেইট চাহাবে তেওঁৰ ৰচিত **A History of Assam** নামৰ গ্ৰন্থত (p.40) চুতীয়াসকলৰ গোষ্ঠী আৰু ভাষা সম্পৰ্কে এই বুলি কৈছে- 'বৰ্তমান চুতীয়া লোকৰ সংখ্যা এক নিযুতৰ বাৰ ভাগৰ এভাগমান (প্ৰায় ৮৪,০০) হ'ব।

---

[১৭৮] **Census of India, 1891**,Assam,vol.i.,chapter-x,p.3.

[১৭৯] **Census of India, 1921**,vol.iii,part-i,p.153.

[১৮০] The Chutiyas like the Koch and the Ahoms, are one of the race castes (plain tribes) of Assam. Their physical appearance suggests a Mongolian origin, their language, which is still preserved amongst the Deoris or priestly clan, belongs to the Boro family and it seems probable that they are a section of the great Bodo race which includes the Garo, the Kachari, and the Tippera. **Assam District Gazetteers, Lakhimpur District**,1976,p.136;**Sibsagar District**,1967,p.97.

তেওঁলোকৰ এতিয়াৰ বসতিস্থান ঘাইকৈ লক্ষীমপুৰ আৰু শিৱসাগৰৰ দাঁতিকাষৰীয়া অঞ্চল। তেওঁলোকৰ দেউৰী বা পুৰোহিতসকলে আজিও চুতীয়া ভাষা বুজি পায়। এই ভাষাটো নিঃসন্দেহে বড়ো ভাষা। কিন্তু চুতীয়াসকলৰ চেহেৰা-পাতিলৈ চাই তেওঁলোকৰ দেহত শানসকলৰ লগত বুজন পৰিমাণৰ তেজৰ সংমিশ্ৰণ হোৱা যেন লাগে। শানসকলৰ বাসভূমিৰ কাষৰ এটা অঞ্চলতে তেওঁলোকে বাস কৰিছিল। সৌ সিদিনালৈকে আহোমসকলৰ লগত হোৱা ব্যাপক বৈবাহিক সম্পৰ্কৰ ফলত ১৮৯১ চনৰ লোকপিয়লত চুতীয়াসকলৰ এক-তৃতীয়াংশই আহোম-চুতীয়া উপজাতি বুলি পৰিচয় দিয়ালৈ চাই এই কথা ক'ব পাৰি যে আগৰ শান প্ৰবজনকাৰী সকলৰ লগতো চুতীয়াসকলৰ সম্ভৱতঃ ভালেখিনি তেজৰ সংমিশ্ৰণ ঘটিছিল।[১৮১]

কছাৰীসকলৰ বিষয়ে গৱেষণা কৰা চিদ্‌নী এণ্ডেল (Sidney Endle)ৰ মতে সম্ভৱতঃ ব্ৰহ্মপুত্ৰৰ সাৰুৱা উপত্যকালৈ উত্তৰ আৰু উত্তৰ-পূবৰপৰা অন্ততঃ দুটা মানৱ গোষ্ঠীৰ প্ৰৱজন হৈছিল। এটাই তিস্তা, ধৰ্‌লা, সোণকোষ আদি নদীৰ উপত্যকাইদি উত্তৰ-পূব বঙ্গ আৰু পশ্চিম অসমত প্ৰৱেশ কৰি পূৰ্বৰ পৰাক্ৰমী কামৰূপ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু আনটোৱে সোৱণশিৰি, দিবং আৰু দিহং নদীৰ উপত্যকাইদি পূব অসমত প্ৰৱেশ কৰিছিল। চুতীয়া বুলি প্ৰসিদ্ধ এই কছাৰী জনগোষ্ঠীটোৱে নিঃসন্দেহে বহুবছৰ ব্যাপি এই অঞ্চলত ৰাজত্ব কৰিছিল। তেওঁলোকৰ (চুতীয়াসকলৰ) ৰাজধানী বৰ্তমানৰ সদিয়া বা ইয়াৰ ওচৰে-পাজৰৰ কোনো স্থানত আছিল।[১৮২] এইজন পণ্ডিতে আকৌ কৈছে যে মৰাণ আৰু চুতীয়াসকলৰ লুপ্তপ্ৰায় ভাষাৰ লগত কছাৰীসকলৰ ভাষাৰ বহু

[১৮১] The Chutiyas now number about a twelfth of a million, and are found chiefly in Lakhimpur and the adjacent part of Sibsagar. Their language, which is still known to the Deoris, or priestly section of the tribe, is unmistakably Bodo, but their appearance suggests that they have in their frames a considerable infusion of Shan blood. They occupied a tract not far removed from the home of the Shans, and the probability is that they absorbed considerable numbers of the earlier immigrants of that race, just as in more recent times they have intermarried with the Ahoms, to such an extent that, at the census 1891, one-third of those who recorded their sub-tribe described themselves as Ahom-Chutiyas.

[১৮২] It is possible that there were at least two great immigrations from the north and north-east into the rich valley of the Brahmaputra, i.e., one entering North-east Bengal and Western Assam through the valley of the Tista, Dharla, Sankosh, &c., and founding there what was formerly the powerful kingdom of Kamarupa; and the other making its way through the Subansiri, Dibong and Dihong valleys into Eastern Assam, where a branch of the widespread Kachari race, known as Chutiyas, undoubtledly held sway for a lenghened period. The capital quarters of their last-mentioned people (the Chutiyas) was at or near the modern Sadiya,...**The Kacharis**,London,1911,p.4.



মিল আছে।[১৮৩]

অসমীয়া ভাষাত বুৰঞ্জী প্ৰণেতাসকলৰ ভিতৰত মণিৰাম দেৱানেই প্ৰথম অসমৰ অধিবাসীসকলৰ গোষ্ঠী পৰিচয়ৰ ক্ষেত্ৰত কিছু কথা কৈছে। তেওঁৰ ৰচিত **বুৰঞ্জী বিবেকৰত্নৰ**[১৮৪] দ্বিতীয় খণ্ডৰ প্ৰথম অধ্যায়ৰ প্ৰথম পৃষ্ঠাতে তেওঁ কৈছে - প্ৰথম এতদ্দেশে বৰাহি, কছাৰি, চুটিয়াৰ দেশেহে আছিলে', অৰ্থাৎ তেওঁলোকেই অসমৰ আদিম অধিবাসী আছিল। তেওঁ দেখুৱা বৰ্ণভেদ প্ৰথাৰ জখলাৰ শীৰ্ষত আছে ব্ৰাহ্মণসকল, দ্বিতীয়তে কায়স্থসকল, আৰু এই ক্ৰম অনুসৰি ১৬ নম্বৰত কছাৰি, ১৭ হিন্দু চুতীয়া, ১৮ আহোম, ২০ চাংবৰাহী, ২১ মৰাণ, ২২ চুতীয়া, ২৪ বুৰুক, ২৫ মাটি বৰাহী, ২৯ বৰাহী আৰু ৩৬ চুতীয়ামিৰি।[১৮৫] গুণাভিৰাম বৰুৱাই ১৮৭৫ চনতে যুগুত কৰা **আসাম বুৰঞ্জী**ত অসম দেশৰ লোকসকলক প্ৰধানকৈ তিনি ভাগত ভাগ কৰিছে - 'প্ৰথম আৰ্য্য অৰ্থাৎ যিবিলাক আৰ্য্যাবৰ্ত্ত বা ভাটীৰপৰা আহি বাস কৰিছে আৰু যাৰ ভাষা সংস্কৃতমূলক। ইয়াৰ মাঝত ব্ৰাহ্মণ, কলিতা, কেওট প্ৰভৃতি যিবিলাকে সংস্কৃতমূলক অসমীয়া ভাষা কয় সেই সকলো পড়ে। দ্বিতীয় অনাৰ্য্য অৰ্থাৎ যি সকল লোক আৰ্য্য সন্তান নহয় আৰু যি এই দেশতে আদিৰেপৰা বাস কৰি আছে বা পাঁছে এই দেশলৈ আহিছে আৰু যাৰ স্বতন্ত্ৰ ভাষা আছিল বা আছে। ইয়াৰ মাঝত এই দেশৰ মিকিৰ, কছাৰী, লালুঙ্গ, আহোম প্ৰভৃতি পড়ে। তৃতীয় মিশ্ৰ জাতি অৰ্থাৎ আৰ্য্য আৰু অনাৰ্য্য জাতিৰদ্বাৰা উৎপন্ন হোৱা জাতি। অধিকাংশ কোঁচ আৰু ছুটিয়া প্ৰভৃতি জাতি ইয়াৰ অন্তৰ্গত।'[১৮৬] বৰুৱাদেৱে চুতীয়াসকলৰ সদিয়া ৰাজ্যৰ প্ৰাচীনত্ব মহাভাৰতৰ যুগৰ ভীষ্মকৰপৰা টানি আনি এইবুলি কৈছে, 'কৌণ্ডিল্য দেশ এতিয়াৰ সদীয়া অঞ্চল। এই দেশ ৰুক্মিণীৰ পিতা ভীষ্মক ৰজাৰ দেশ। সদীয়াত যি দেবীৰ মন্দিৰ আছে তাৰেপৰা ৰুক্মিণীক শ্ৰীকৃষ্ণে হৰণ কৰি নিছিল বুলি জন-প্ৰবাদ আছে। ইয়াৰ ওচৰতে এটি সৰু নদী আছে। ইয়াকে এতিয়াও কুণ্ডিল নলা বুলি লোকে কয়।'[১৮৭] তেখেতৰ মতে, 'ভগদত্ত, বাণ, ভীষ্মক, ঘটোৎকচ প্ৰভৃতি এই দেশৰ ৰজাসকল আৰ্য্য সন্তান আছিল।'[১৮৮]

[১৮৩] To these may be added one or two smaller communities, e.g., the Morans and the Chutiyas in Upper Assam, whose language, not although extinct as yet, though apparently dying out rapidly, would seem to prove them to be closely akin to the Kachari (Bodo) race. S.K. Bhuyan, Introduction to the **Kachari Buranji**,DHAS,1951,p.xvi.

[১৮৪] এই বুৰঞ্জীখন তেওঁ দুটা খণ্ডত ১৮৩৮ চনত ৰচনা কৰিছিল। প্ৰথম খণ্ডটো পোৱা নগ'ল। দ্বিতীয় খণ্ডটো বহুদিন ধৰি গুৱাহাটীস্থ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পুথিভড়ালত সংৰক্ষিত হৈ আছিল। ইয়াৰপৰা বুৰঞ্জীখনৰ নকল ড° নগেন শইকীয়াদেৱে আনি সম্পাদনা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ যোগেদি ২০০২ চনত প্ৰকাশ কৰে।

[১৮৫] পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১-১২।

[১৮৬] গুৱাহাটী, ২০০১,পৃঃ ৯।

[১৮৭] পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ৪।

[১৮৮] ঐ, পৃঃ ৯।

চুতীয়াসকলৰ আদি বসতিস্থান আৰু গোষ্ঠী পৰিচয় সম্পৰ্কে বৰুৱাদেৱৰ বুৰঞ্জীত এইখিনি কথা আছে ঃ 'ইহঁতক অনেকে অনুমান কৰে আন ঠাইৰপৰা অহা মানুহ। কিন্তু এইটো অপ্ৰমাণ হেন দেখা গইছে। ইহঁতৰ পৰ্বতত বাস নাই। পূৰ্বে ইহঁতৰ দেশ সৌমাৰ খণ্ডত আছিল (ছুটীয়াবিলাকৰ দেশৰ অধিকাংশ ভীষ্মক ৰজাৰ কুণ্ডিল নগৰৰ মাঝত পড়ে)। এতিয়া ইহঁতক সৰ্ব্বত্ৰে পোৱা যায়। দৰঙ্গ জিলাত ছুটীয়া নামে এক প্ৰদেশ আছে। ইহঁতৰ যিসকল হিন্দু হইছে সেইসকলে কোঁছ জাতিত গণ্য নহ'ই হিন্দু ছুটীয়া বুলি কয়। ইহঁতৰ যিবিলাকে হিন্দু হোৱা নাই সেইবিলাকে আহোম ছুটীয়া বুলিও কয়। এক কালত ইহঁত এক প্ৰবীণ জাতি আছিল। ইহঁতে কুবেৰৰ সন্তান বুলি কয়। বৰাহিবিলাক ছুটীয়াৰ এক উপজাতি মাত্ৰ। ফলিতাৰ্থে ছুটীয়াবিলাকক এই দেশৰ আদিবাসী লোক বোলাহে উচিত।'[১৮৯]

পদ্মেশ্বৰ নাওবৈছা ফুকনে উনৈশ শতিকাৰ শেষৰ দশকত ৰচনা কৰা তেওঁৰ **অসম বুৰঞ্জী**ত 'অসম দেশত চুটীয়া কুলৰ উৎপত্তি' শিতানত চুতীয়া আৰু কছাৰীক একে বুলি কৈছে ঃ 'চুটীয়াক পূৰ্ব্বে চুটীয়া কচাৰি বুলিছিল, চুটীয়াৰ আচল কুল কচাৰি, লুইতৰ উত্তৰ ও দক্ষিণ পাৰে দৰঙ্গৰ ৰজা ও বাৰ ভূঁঞা ভিন্ন সদিয়া জয়পুৰৰপৰা ধুবুৰি পৰ্য্যন্ত যিমান লোকৰ বসতী আছিল, সকলোবোৰৰ কচাৰি কুল।'[১৯০]

পদ্মনাথ গোহাঞিবৰুৱাই ১৮৯৯ খ্ৰীঃত প্ৰণয়ণ কৰা তেওঁৰ **অসমৰ বুৰঞ্জী**ৰ 'অসমীয়া জাত-বিভাগ' অধ্যায়ত চুতীয়াসকলৰ কথা এনেদৰে লিখিছেঃ 'চুটিয়া - ইবিলাক উজনি অসমৰ ৰাজবংশী মানুহ আৰু সৌমাৰৰ এজাতি আদিবাসী। হিন্দুধৰ্ম গ্ৰহণ কৰাৰপৰা ইবিলাক কোঁচ-কেওঁটৰ অলপ নামত গণনীয় হৈছে। হিন্দু-চুটিয়া, আহোম-চুটিয়া আৰু মিৰি-চুটিয়া নামে এইজাত মানুহৰ তিনি খেল আছে। মিৰি চুটিয়াবিলাকৰ সৰহভাগ এতিয়াও পৰ্বতীয়া জাতিৰ আচাৰ-ব্যৱহাৰতে আছে।'[১৯১]

কনকলাল বৰুৱাৰ মতে চুতীয়াসকল মূলতঃ বড়ো গোষ্ঠীৰ এটা জনজাতি।[১৯২] প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথেও একে মতকে পোষণ কৰি এই বুলি কৈছে যে চুতীয়াসকলে হিমালয়ৰ উত্তৰত আৰু মানস হ্ৰদৰ পূবত অৱস্থিত স্বাত হ্ৰদৰ সমীপৱৰ্তী অঞ্চলৰপৰা দক্ষিণলৈ প্ৰবজন কৰি সোৱণশিৰীৰ পাৰে পাৰে আহি সপ্তম শতিকাৰ মাজভাগমানত (বৰ্মণ বংশী ৰজাসকলে কামৰূপত ৰাজত্ব কৰা কালত) বৰ্তমানৰ লক্ষীমপুৰ জিলা

[১৮৯] ঐ, পৃঃ১৬

[১৯০] গুৱাহাটী, ২০০৫, পৃঃ ০.৪৭।

[১৯১] পৰিশোধিত আৰু পৰিবৰ্দ্ধিত ১৯শ তাঙৰণৰ পুনৰমুদ্ৰণ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৬, পৃঃ ৪, ৫। গোহাঞিবৰুৱাৰ এই কিতাপখন ১৮৯৯ খ্ৰীঃৰপৰা ১৯৩৭ খ্ৰীঃ পৰ্যন্ত অসমৰ মাধ্যমিক আৰু উচ্চ বিদ্যালয়বিলাকত (middle and high schools) পাঠ্যপুথি হিচাপে চলিছিল। তেখেতৰ জীৱিত কালতে এই কিতাপখনৰ ১৯শ সংস্কৰণ প্ৰকাশিত হয়। জীৱনৰ শেষলৈকে তেখেতে কিতাপখনৰ সংশোধন আৰু পৰিবৰ্দ্ধনৰ কাম চলাই গৈছিল।

[১৯২] **Early History of Kamarupa**,p.183.



পায়হি। কামৰূপৰ মানুহে তেওঁলোকক 'স্বাতীয়া' বুলি কৈছিল আৰু সেই শব্দৰ পৰাই চুতীয়া নামৰ উৎপত্তি হয়।[১৯৩]

চুতীয়াসকলৰ চাৰিটা ফৈদ আছিল। তাৰে পাতৰ গঞা ফৈদৰ মুখীয়ালজনক কামৰূপৰ বৰ্মণ বংশীয় ৰজাই তেওঁৰ প্ৰশাসনত নিযুক্তি দিছিল। পৰৱৰ্তী কালত কৃষক নামৰ আন এজন চুতীয়া লোকক জয়ন্তীয়াৰ লগত কূটনৈতিক সম্পৰ্ক ৰক্ষা কৰিবলৈ নিযুক্তি দিয়া হৈছিল। যেতিয়া বৰ্মণ বংশৰ পতন ঘটিল তেতিয়া এই বিষয়াজনে জয়ন্তীয়া ৰজাৰ লগত বন্ধুত্ব কৰি তেওঁৰ কন্যাক বিবাহ কৰি জয়ন্তীয়া ৰাজ্যৰ ৰজা হ'ল। তেওঁৰ সতি-সন্ততিসকলে বহুবছৰ ধৰি জয়ন্তীয়া আৰু চিলেটত ৰাজত্ব কৰিছিল।[১৯৪] জয়ন্তীয়া আৰু চিলেট এই দুয়ো ঠাইতে এতিয়াও 'পাতৰ' উপাধি লিখা মানুহ পোৱা যায়। দেউৰী-চুতীয়াসকলৰ মাজত এটা জনশ্ৰুতি আছে যে পাতৰগঞা খেলটো দক্ষিণলৈ প্ৰবজন কৰিছিল আৰু তাৰ পিছত তেওঁলোকৰ বিষয়ে একো জনা নাযায়।

ড° সূৰ্য্য কুমাৰ ভূঞাই ১৯৩৬ খ্ৰীঃত তেখেতৰ সম্পাদিত **কছাৰী বুৰঞ্জী**ৰ ইংৰাজীতে লিখা পাতনিত সদিয়াৰ কেঁচাইখাঁতী গোসাঁনীক যে চুতীয়া আৰু কছাৰী দুয়োটা জাতিৰ লোকে পূজা কৰিছিল সেই কথা উল্লেখ কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকা এৰি বৰাক উপত্যকাত বসতি স্থাপন কৰাৰ পিছতো তেওঁলোকে সদিয়াৰ এইগৰাকী গোসাঁনীলৈ পূজা আগবঢ়াইছিল, যদিওবা তেওঁলোকে নিজ ৰাজ্যত কেঁচাইখাঁতী গোসাঁনীৰ মন্দিৰ স্থাপন কৰি লৈছিল। চুতীয়া আৰু কছাৰী দুয়োটা জনগোষ্ঠীৰ মাজত সোণৰ মেকুৰীৰ প্ৰায় একেধৰণৰ আখ্যান প্ৰচলিত আছে। হিন্দুৰ ধনৰ দেৱতা কুবেৰকো এই দুয়োটা জনগোষ্ঠীয়ে পূজা কৰিছিল। কছাৰীসকলে অৱশ্যে কুবেৰক পুৰুষ (কুবেৰ ব্ৰাই) আৰু নাৰী (কুবেৰ ব্ৰুই) এই দুয়োটা ৰূপতে উপাসনা কৰিছিল।[১৯৫]

কছাৰীসকলৰ জনশ্ৰুতিমতে তেওঁলোকৰ অসমভূমিত প্ৰথম বাসস্থান হ'ল কামৰুলী নামৰ এখন ঠাই। এই অঞ্চলৰ মাজেদি এখন নৈ বৈ গৈছিল। কামৰুলীয়ে সম্ভৱতঃ পুৰণি কামৰূপ ৰাজ্যক বুজাইছে আৰু নদীখন হ'ল লৌহিত্য বা ব্ৰহ্মপুত্ৰ। এই অঞ্চলৰপৰা বিতাড়িত হৈ তেওঁলোকে উত্তৰ-পূবৰ কুণ্ডিল' (Kundilo) অৰ্থাৎ কুণ্ডিল পালেগৈ।[১৯৬] কিন্তু ইতিমধ্যে দীৰ্ঘদিন ধৰি কুণ্ডিল বা সদিয়া চুতীয়াসকলৰ বসতিস্থান আছিল। দুয়োটা জনগোষ্ঠীয়ে একে ঠাইতে একে সময়তে ৰাজত্ব কৰা সম্ভৱ নহয়। গতিকে এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে, চুতীয়া আৰু কছাৰীসকল একেটা জনগোষ্ঠীৰ লোক অথবা সমগোত্ৰীয়। তেওঁলোকে কিছুকাল সদিয়া অঞ্চলত একেলগে থকাৰ পিছত

[১৯৩] **The Background of Assamese Culture**,p.68.

[১৯৪] *Ibid.*,p.97.

[১৯৫] second edition, Guwahati,1951,p.xx.

[১৯৬] *Ibid.*,p.xix.

কছাৰীসকল দিখৌ নদীৰ পাৰলৈ আহে আৰু ধনশিৰী উপত্যকা পৰ্যন্ত বিস্তৃত অঞ্চলত তেওঁলোকৰ আধিপত্য বিস্তাৰ কৰে। আনটো অংশ সদিয়াত থাকি গ'ল আৰু তেওঁলোকক পিছত সদিয়াল কছাৰী বা সোণোৱাল কছাৰী বুলি কোৱা হ'ল। সোণোৱাল কছাৰীসকলৰ কিছুমান ধৰ্মীয় বিশ্বাস, পূজা পাৰ্বণ আৰু সামাজিক অনুষ্ঠানৰ লগত চুতীয়াসকলৰ বহুখিনি সাদৃশ্য আছে।

ভাষাবিদ-সাহিত্যিক কালিৰাম মেধিয়ে ১৯৩৬ চনতে প্ৰকাশিত তেওঁৰ **অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব** নামৰ গ্ৰন্থখনৰ (তৃতীয় প্ৰকাশ, গুৱাহাটী, ১৯৯৯) ইংৰাজীত লিখা পাতনিত চুতীয়াসকলক বড়ো গোষ্ঠীৰ লোক বুলি ক'বলৈ গৈ এই কথাখিনি কৈছে - 'ব্ৰহ্মপুত্ৰৰ চহকী আৰু সাৰুৱা উপত্যকাই ভিন্ ভিন্ সময়ত দাঁতি কাষৰীয়া পৰ্বত আৰু সমতল ভূমিত থকা বিভিন্ন জনজাতিক আকৰ্ষিত কৰিছিল আৰু এই জাতিবিলাকৰ মাজত প্ৰাক্-ঐতিহাসিক কালত খুবে সম্ভৱ যুদ্ধ-বিগ্ৰহো লাগিছিল। পৰৱৰ্তী কালত মহাভাৰতৰ যুগত কামৰূপ নামেৰে জনাজাত এই দেশখণ্ডত কিৰাট আৰু চীনা লোকে বসবাস কৰিছিল। তেওঁলোকৰ কি হ'ল কোনেও ক'ব নোৱাৰে। সি যি কি নহওক, যেতিয়া শৃঙ্খলাবদ্ধ বুৰঞ্জী আৰম্ভ হ'ল, তেতিয়া পূবত চুতীয়া আৰু পশ্চিমত কছাৰীসকলে গোটেই দেশখণ্ডত তেওঁলোকৰ আধিপত্য বিস্তাৰ কৰিছিল। তেওঁলোক দুয়োটাই তিব্বতীয় জনজাতি আৰু বড়ো শাখাৰ অন্তৰ্গত। এই শাখাৰ ভিতৰত গাৰো, মেচ, ৰাভা, লালুং, হাজং, হোজাই আৰু ডিমাচাসকল পৰে।'[১৯৭] চুতীয়াসকলৰ ভাষাৰ সম্পৰ্কতো তেওঁৰ মন্তব্য প্ৰণিধানযোগ্য। 'যিহেতুকে কছাৰী আৰু চুতীয়াসকল এসময়ত অসম উপত্যকাৰ প্ৰভাৱশালী জাতি আছিল সেইহেতুকে এই ঠাইৰ ভৌগোলিক নামকৰণত তেওঁলোকৰ ভাষাৰ কিছুমান স্থায়ী অৱশিষ্ট এৰি থৈ যোৱাটো অতি স্বাভাৱিক। অসমৰ কিছুমান প্ৰধান নদী, পাহাৰ আৰু লগতে জিলা আৰু গাঁৱৰ নামে তেওঁলোকৰ ভাষাৰ অস্তিত্ব বহন কৰিছে।'[১৯৮]

ড° বাণীকান্ত কাকতীয়ে কেঁচাইখাঁতী বা তাম্ৰেশ্বৰীৰ পূজাৰ কথা ক'বলৈ গৈ লিখিছে যে এইগৰাকী দেৱীক অতিশয় প্ৰসিদ্ধ কৰি তোলা মঙ্গোলীয় গোষ্ঠীৰ চুতীয়াসকলেক তেৰ শতিকাৰ আৰম্ভণিতে সদিয়া অঞ্চলত ৰাজত্ব কৰিছিল। সেই প্ৰসঙ্গতে তেওঁ আৰু কৈছে যে তাম্ৰেশ্বৰী মন্দিৰৰ সকলো বিষয়াই চুতীয়া আৰু ইয়াৰ পুৰোহিতসকলে নিজকে দেউৰী বুলি কয়। এই উপাধিটো তেওঁলোকে নিশ্চয় পূৰ্বৰ পৰিচাৰক সকলৰপৰা লৈছিল।[১৯৯]

---

[১৯৭] তৃতীয় প্ৰকাশ, গুৱাহাটী, ১৯৯৯, ইংৰাজীত লিখা পাতনি, পৃঃ ৪২।

[১৯৮] পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ৪৪।

[১৯৯] The people who brought this goddess to awful prominence were the Chutiyas, a Mongolian tribe who were reigning at Sadiya at the beginning of the thirteenth century .... The temple officers were all Chutiyas and the priests called them



ড° বিৰিঞ্চি কুমাৰ বৰুৱাই বড়ো গোষ্ঠীৰ জনজাতি কোঁচ, কছাৰী, লালুং, ডিমাচা, গাৰো, ৰাভা, ত্ৰিপুৰা আৰু মৰাণসকলৰ লগত চুতীয়াসকলক অন্তৰ্ভুক্ত কৰিছে।[২০০] একে মতকে বুৰঞ্জীবিদ প্ৰতাপ চন্দ্ৰ চৌধুৰীয়েও পোষণ কৰিছে আৰু চুতীয়াসকলকে ধৰি তেওঁলোকৰ কিছুমানৰ শানসকলৰ লগত তেজৰ সংমিশ্ৰণ ঘটিছে বুলি কৈছে।[২০১]

ড° মহেশ্বৰ নেওগৰ মতেও চুতীয়াসকল বড়ো গোষ্ঠীৰ লোক। তেওঁ কৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু তাৰ কাষৰ সৰু-সুৰা পৰ্বত জুৰি প্ৰাচীন কালৰপৰাই তিৰ্ব্বত-বৰ্মী গোষ্ঠীৰ চুতীয়া, মৰাণ, লালুং, হোজাই, ডিমাচা, কছাৰী, মেচ, ৰাভা, টিপ্ৰা, গাৰো আৰু মৈমনসিং জিলাৰ হাজংসকলে বাস কৰি আহিছে।[২০২]

ডম্বৰুধৰ দেউৰীৰ মতে, 'চুতীয়াবিলাক অসমৰ ৰাজবংশীয় কৃষ্টিসম্পন্ন মানুহ। অসমৰ সংস্কৃতিত চুতীয়াৰ অমূল্য অৱদান আছে। পুৰণি কালত চুতীয়া আছিল প্ৰাচুৰ্য্যপূৰ্ণ, শৌৰ্য্য-বীৰ্যশালী স্বাধীন জাতি। তেওঁবিলাকৰ ৰাজ্যও আছিল বৰ সমৃদ্ধিশালী আৰু পৰাক্ৰমী। তেওঁবিলাকৰ সভ্যতাও সম্পূৰ্ণৰূপে চুতীয়া। চুতীয়াৰ নিজস্ব ৰাজনৈতিক আৰু সামাজিক পদ্ধতি আছিল। ভাস্কৰ্য বা স্থাপত্য বিদ্যাত পাৰ্গত আছিল। ৰণকৌশল, বেপাৰ-বাণিজ্যও আছিল। নিজা লিপিও আছিল। এতিয়া লোপ পাইছে। দেউৰী বা চুতীয়া ভাষা অসমৰ অতি পুৰণি ভাষা।'[২০৩] চুতীয়া বা দেউৰীসকলৰ গোষ্ঠী পৰিচয় সম্পৰ্কত তেওঁ স্পষ্টভাৱে একো কোৱা নাই। কিন্তু তেওঁ এইষাৰ কথা কৈছে যে 'তেওঁবিলাক' অৰ্থাৎ দেউৰীসকল 'গুৰিতে চুতীয়া জাতিৰ মানুহ আছিল।'[২০৪]

ড° নগেন্দ্ৰ নাথ আচাৰ্যই চুতীয়াসকলক অসমৰ আদিম অধিবাসী বুলি কৈছে। তেওঁলোকৰ নিজৰ ভাষাটো দেউৰীসকলেহে জানে। এইটো নিঃসন্দেহে বড়ো ভাষা। কিন্তু তেওঁলোকৰ চেহেৰা-পাতিত শান তেজৰ সংমিশ্ৰণ হোৱা যেন লাগে। যিহেতুকে দক্ষিণ-পূব এচিয়াৰ শানসকলৰ তেওঁলোক প্ৰতিবেশী আছিল সেইহেতু তেওঁলোকৰ লগত এনে সংমিশ্ৰণ হোৱাটো স্বাভাৱিক। তেওঁলোকৰ কিছুমানক বৰ্তমান দৰং আৰু দুৱাৰ অঞ্চলত পোৱা যায়।[২০৫]

ড° পদ্মেশ্বৰ গগৈয়ে কৈছে যে চুকাফা আহিবৰ সময়ত সমগ্ৰ পূব অসমেই জনজাতিৰ অধীনত আছিল আৰু তেওঁলোকৰ প্ৰায় সকলোৱেই মঙ্গোলীয় বড়ো গোষ্ঠীৰ

---

selves Deoris, a title they must have inherited from former ministrants - **The Mother Goddess Kamakhya**, 2004, pp. 61f.

[২০০] **A Cultural History of Assam**,vol.i,Nawgaon, 1951, p.6.

[২০১] **The History of Civilisation of the People of Assam to the Twelfth Century A.D.**, p. 87.

[২০২] **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, গুৱাহাটী, ১৯৭১, পৃঃ ২।

[২০৩] দেউৰী সংস্কৃতি, পৃঃ ৭।

[২০৪] পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪।

[২০৫] **The History of Medieval Assam**,Guwahati,1966, p. 232.

লোক আছিল। এই গোষ্ঠীৰে এটা পৰাক্ৰমী শাখাক স্থানীয়ভাৱে চুতীয়া বুলি কোৱা হৈছিল। তেওঁলোকে সোৱণশিৰী আৰু দিচাং নদীৰ পূবত এক বিস্তৃত অঞ্চলত ৰাজত্ব কৰিছিল। তেওঁলোকৰ ৰাজধানী আছিল সদিয়াত।[২০৬] তেওঁৰ মতে, সম্ভৱতঃ চুতীয়াসকলৰ প্ৰকৃত নাম আছিল 'ডিউৰা'। আহোমসকলে প্ৰথমে তেওঁলোকক 'টিউৰা' বা আৰু চুটিকৈ 'ৰা' বুলি কৈছিল। এই ডিউৰা শব্দটোৱেই পিছলৈ আৰ্যীকৃত হৈ 'দেউৰী' হ'ল আৰু তাৰ অৰ্থ হ'ল দেও বা প্ৰেতাত্মাৰ পূজাৰী। দেউৰীসকল চুতীয়াসকলৰ অহিন্দু শাখা। এই জনজাতিৰ বাকী সকলোবিলাকেই হিন্দুধৰ্ম গ্ৰহণ কৰিলে।[২০৭]

ড° লক্ষ্মী দেৱীয়ে তেওঁৰ পি. এইচ. ডি. গৱেষণা গ্ৰন্থ **Ahom Tribal Relations** ত চুতীয়াসকলক অন্তৰ্ভুক্ত কৰাৰপৰা এইটো সহজেই সিদ্ধান্ত কৰিব পাৰি যে তেওঁ চুতীয়াসকলক অসমৰ জনজাতিবিলাকৰ ভিতৰত পেলাইছে। তেওঁ স্পষ্টকৈ কৈছে যে অসমৰ সকলো জনজাতীয় মানুহৰ ভিতৰত কেৱল চুতীয়াসকলৰহে এটা লিখিত ভাষা আছিল যদিও তেওঁলোকৰ প্ৰাচীন ইতিহাস সম্পৰ্কে খুব কমেইহে জনা যায়।[২০৮]

সুনীতি কুমাৰ চেটাৰ্জীয়ে তেখেতৰ **কিৰাট-জন-কৃতী** নামৰ প্ৰসিদ্ধ গ্ৰন্থখনত 'অসমত আহোম বনাম বড়ো' (Ahom Vs. Bodo in Assam) শিতানত লিখিছে যে আহোমসকল অসমলৈ আহি অন্ততঃ দুখন পৰাক্ৰমী হিন্দুকৃত বড়ো ৰাজ্যৰ সন্মুখীন হ'ব লগা হৈছিল- পূব প্ৰান্তত শদিয়াৰ আশে-পাশে চুতীয়াসকলৰ আৰু ধনশিৰী উপত্যকাত ডিমাচা বা কছাৰীসকলৰ। চুতীয়াসকলৰ ৰাজ্যলৈ সম্ভৱতঃ আগৰেপৰাই পূব ফালেদি শান বা আহোমসকলৰ প্ৰবজন ঘটিছিল আৰু তেওঁলোকৰ লগত চুতীয়াসকলৰ বহুখিনি সংমিশ্ৰণ ঘটিছিল। তেওঁলোকৰ ধৰ্ম আদিম অৱস্থাতে আছিল আৰু তেওঁলোকে নৰবলিৰে এগৰাকী গোসাঁনীক পূজা কৰিছিল। এইগৰাকী গোসাঁনী কেঁচাইখাঁতী নামেৰে পৰিচিত আছিল আৰু তেওঁক কালী গোসাঁনীৰ এটা ৰূপ বুলি ধৰা হৈছিল। এনেকৈয়ে তন্ত্ৰবাদৰ জৰিয়তে হিন্দু ব্ৰাহ্মণ্যবাদত চুতীয়াসকলক অন্তৰ্ভুক্ত কৰাটো সহজ হৈ পৰিছিল।[২০৯]

সৰ্বানন্দ ৰাজকুমাৰে **ইতিহাসে সোঁৱৰা ছশটা বছৰ** নামৰ গ্ৰন্থত 'চুটিয়াবিলাক মঙ্গলীয়ান জাতিৰপৰা উৎপত্তি হৈছে' বুলি কৈছে। 'তেওঁবিলাকৰ পুৰোহিত দেউৰীসকলৰ বৰ্তমানৰ কথিত ভাষা বড়ো ভাষা। চুটিয়াবিলাক চাৰিভাগত বিভক্ত। যেনে- হিন্দু চুটিয়া,

[২০৬] **The Tai and the Tai Kingdoms**, Gauhati University, 1968, p. 266.
[২০৭] *ibid.*,foot-note 56.
[২০৮] **Ahom-Tribal Relations**,Guwahati,1968,p.59.
[২০৯] When the Ahoms came into Assam, they met with at least two powerful Hinduised Bodo States, that of the Chutiyas in the extreme east, round about Sadiya, and that of the Dimasa or Kacharis in the Dhansiri valley .... The Chutiyas had probably been receiving earlier Thai or Ahom immigrants from the east, and they had become considerably intermixed with them. Their religion was a primitive kind of animism in which a great Goddess to whom human sacrifices were



আহোম চুটিয়া, দেউৰী আৰু বৰাহী।'[২১০]

ড° সৃষ্টিধৰ দত্তৰ মতেও চুতীয়াসকল বড়ো জাতিৰ লোক আৰু কছাৰী ভাষাৰ লগত তেওঁলোকৰ ভাষাৰ বহু মিল আছে।[২১১] ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জনজাতিৰ ভিতৰত চুতীয়াসকলেই আটাইতকৈ আগবঢ়া আৰু অতীতত তেওঁলোকৰ এটা উন্নত সভ্যতা আছিল যেন লাগে।[২১২]

ড° পূৰ্ণানন্দ শইকীয়াই চুতীয়া সংস্কৃতিক অসুৰ অৰ্থাৎ অনাৰ্য সংস্কৃতি বুলি চিনাক্ত কৰিছে আৰু দেউৰী, মিচিং, বড়ো, কাৰ্বিসকল চুতীয়াসকলৰ অঙহী-বঙহী বুলি কৈছে। ইয়াৰপৰা এইটো সহজে অনুমেয় যে তেওঁ চুতীয়াসকলক মঙ্গোলীয় বা বড়ো গোষ্ঠীৰ ভিতৰত পেলাইছে।[২১৩]

ড° ডম্বৰুধৰ নাথেও চুতীয়াসকলক বৃহৎ মঙ্গোলীয় তথা বড়ো জনগোষ্ঠীৰ লোকসকলৰ ভিতৰতে ধৰিছে। তেওঁ কৈছে যে চুতীয়া জাতিৰ মাজত থকা ভাগবিলাক কোনো গোষ্ঠীগত ভাগ নহয়। প্ৰথমে হিন্দুধৰ্মৰ ভিতৰুৱা হোৱা চুতীয়াসকলেই হিন্দু চুতীয়া নামে জনাজাত হয় ... বাকীখিনি ভাগ সৃষ্টি হৈছে চুবুৰীয়া জনজাতিসকলৰ লগত বিয়া-বাৰু আদিৰ সম্পৰ্ক ঘটাৰ ফলত। দেউৰীসকল চুতীয়াসকলৰ পুৰোহিত শ্ৰেণী আছিল।[২১৪]

**চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতিৰ** গ্ৰন্থকাৰ সূৰ্য্যকান্ত খনিকৰে গেইটৰ মতকে সমৰ্থন কৰি চুতীয়াসকলক বড়ো গোষ্ঠীৰ লোক বুলি কৈছে।[২১৫] একে মতকে দুই এজনৰ বাদে চুতীয়াসকলৰ অন্যান্য নেতৃস্থানীয় ব্যক্তি বা গৱেষকসকলেও পোষণ কৰিছে। **সদৌ অসম চুতীয়া সন্মিলন, চুতীয়া ছাত্ৰ সন্মিলন** আৰু **চুতীয়া মহিলা সন্মিলনৰ** সভাপতিসকলৰ ভাষণবোৰ অধ্যয়ন কৰিলেই এই কথা স্পষ্ট হৈ পৰে। এই ক্ষেত্ৰত ভ্ৰমৰ চন্দ্ৰ শইকীয়া, শংকৰদেৱ বঁটা প্ৰাপ্ত সোণাৰাম চুতীয়া আৰু ড° লম্বোধৰ শইকীয়াৰ নাম উল্লেখযোগ্য।

offered obtained highest honour; and this Goddess, known by her Assamese name *kesa-khaiti* 'the Eater of Raw Flesh', was identified with Kali; and thus inclusion of the Chutiyas within the Hindu Brahmanical fold through Tantricism was rendered easy. **Kirata-Jana-Kriti**,pp.102f.
[২১০] যোৰহাট, ১৯৮০, পৃঃ ৭১৪-৭১৫।
[২১১] **The Mataks and their Kingdom : Castes and Tribes of Assam**, Allahabad, 1985, p. 28.
[২১২] *ibid.*, p. 29.
[২১৩] 'অসুৰ-চুটিয়া সংস্কৃতি', **স্মৃতিগ্ৰন্থ**, ধেমাজী জিলা চুতীয়া জাতি সন্মিলন, ঢকুৱাখানা, ১৯৮৫, পৃঃ ১-৪।
[২১৪] **অসম বুৰঞ্জী**, গুৱাহাটী, ১৯৮৮, পৃঃ ১১৪।
[২১৫] গুৱাহাটী, ২০০৩, পৃঃ ১৫।

আনহাতে, শ্ৰী ললিত চুতীয়াদেৱে তেওঁৰ **চুতীয়া জাতিৰ চমু পৰিচয়** নামৰ গ্ৰন্থত এই বুলি কৈছে– 'আদিম কিৰাত আৰু দ্ৰাবিড়সকলৰ সমন্বয়ত সৃষ্টি হৈছিল আজিৰ সৌমাৰ খণ্ডৰ বিশাল চুতীয়া জাতি।'[২১৬]

কেইবা বছৰো ধৰি চুতীয়া সন্মিলনৰ নেতৃত্ব বহন কৰি অহা কবি আৰু লেখক কোযেশ্বৰ বৰুৱাদেৱৰ মতে, 'বিশাল বড়ো গোষ্ঠীৰ লোক বুলি জনাজাত চুতীয়াসকল অতি প্ৰাচীন কালৰেপৰা এটা পৰ্যায়ত আৰ্যেতৰ হিন্দু স্বৰূপে পৰিগণিত হ'লেও, এওঁলোক অসমৰ খিলঞ্জীয়া আদিম জনগোষ্ঠীৰ লোক। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ, লৌহিত্যৰ আগাৰিৰ পাহাৰ আৰু ভৈয়ামৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰে চুতীয়াৰ সম্পৰ্ক নিবিড় আৰু ইতিহাসসন্মত।'[২১৭]

প্ৰসিদ্ধ নৃতত্ত্ববিদ ড° ভূবন মোহন দাসৰ মতেও চুতীয়াসকল অসমৰ অতি প্ৰাচীন মঙ্গোলয়দ মানুহ আৰু উজনি অসমত তেওঁলোকে বহুদিন ধৰি ৰাজত্ব কৰিছিল।[২১৮]

ড° মোহিনী কুমাৰ শইকীয়াই তেওঁৰ 'অসমৰ চুতীয়া জাতি ঃ এক সুকীয়া চিন্তা' নামৰ প্ৰৱন্ধত চুতীয়াসকলৰ মঙ্গোলীয় উৎপত্তি সমৰ্থন কৰি এটা নতুন চিন্তাৰ উন্মেষ ঘটাইছে। প্ৰাচীন কালত মধ্য এচিয়াৰ পশ্চিম ভাগত বাস কৰা হুন নামৰ মঙ্গোলীয় জাতিটোৰ কাযতে বাস কৰা খেট্ৰো, খট্ৰি, চত্তি বা হিট্ৰি নামৰ আন এটা জাতিৰ প্ৰতি তেওঁ আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই জাতিটোৰ আচল নাম আছিল বোধহয় 'চত্তি'। তেওঁলোকে এসময়ত পশ্চিম এচিয়াৰ চিৰিয়া, এচিয়া মাইনৰ আৰু আনটোলীয়া অঞ্চল সামৰি এখন ৰাজ্য পাতিছিল আৰু এটা সময়ত ইউৰোপ আৰু আফ্ৰিকাৰ কিছু অংশও দখল কৰিছিল। ফলস্বৰূপে তেওঁলোকে ইজিপ্তকে ধৰি বিভিন্ন সভ্যতাৰ সংস্পৰ্শলৈ আহিছিল। ইজিপ্তবাসীৰ দৰেই তেওঁলোকেও মেকুৰীক পবিত্ৰ জ্ঞান কৰিছিল আৰু 'কেইবেৰু' নামৰ এক মঙ্গলময় শক্তিক পূজা কৰিছিল। তেওঁলোক ধনুৰ্বিদ্যাত বৰ পাৰ্গত আছিল আৰু প্ৰাচীন চুতীয়াসকলৰ দৰেই মূৰত দীঘল চুলি ৰাখিছিল। তেওঁলোকে মানৱ সমাজত লোহাৰ ব্যৱহাৰ সৰ্বপ্ৰথমে প্ৰচাৰ কৰে বুলি অনেক পণ্ডিতে কয়। এইবোৰ কথাৰপৰা দেখা যায় যে মঙ্গোলীয় 'চত্তি' জাতিৰ লগত অসমৰ চুতীয়া জাতিৰ সংস্কৃতিৰ বহুখিনি মিল আছে। এই সাদৃশ্য 'অতি আকস্মিক বুলি উৰাই দিয়া সমিচীন নহয়'।[২১৯] কিন্তু ড° শইকীয়াই নিজে কোৱাৰ দৰে এই বিষয়ত গভীৰ অধ্যয়নৰ দৰকাৰ। গতিকে, ওপৰুৱাভাৱে এই বিষয়ত এটা সিদ্ধান্ত দিব নোৱাৰি।

এইসকলৰ বিপৰীতে কেইবাজনো চাহাব আৰু অসমীয়া পণ্ডিতে চুতীয়াসকলক

[২১৬] দ্বিতীয় প্ৰকাশ, ধেমাজী, ২০০২, পৃঃ ৯।

[২১৭] **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, গুৱাহাটী, ২০০০, পৃঃ ৩৬।

[২১৮] **The People of Assam**, p. 106.

[২১৯] **কুণ্ডিল**, সদৌ চুতীয়া জাতি সন্মিলনৰ মুখপত্ৰ, তৃতীয় সংখ্যা, সম্পাদনা ভৱকান্ত চুতীয়া, গোলাঘাট, ১৯৯৭, পৃঃ ১-৩।



ক্ষত্ৰিয় জাতিৰ সন্তান বুলি কৈছে। যথা, ৱেডেল (Waddell) চাহাবে তেওঁৰ 'Tribes of the Brahmaputra Valley' নামৰ প্ৰৱন্ধত কয় যে তেৰ শতিকাত আহোমসকলৰ আগমনৰ সময়ত চুতীয়া নামেৰে এটা অৰ্দ্ধ হিন্দুকৃত জাতিয়ে উজনি অসম উপত্যকাত বাস কৰিছিল।[২২০] মেজৰ হান্নে চাহাবে ১৮৪৮ খ্ৰীঃত প্ৰকাশিত এটি প্ৰৱন্ধত লিখিছে যে চুতীয়াবিলাক (সিবিলাকৰ নিজৰ প্ৰবাদমতে) প্ৰাচীন কামৰূপৰ আদি ক্ষত্ৰিয় জাতিৰ সন্ততি। ক্ষত্ৰিয় শব্দ 'চত্ৰিয়' ৰূপে আৰু 'চত্ৰিয়'ৰ পৰা চুতীয়া শব্দ হোৱা সম্ভৱপৰ। তেওঁ আৰু লিখিছে যে আহোমসকল অহাৰ আগেয়ে কেৱল চুতীয়া ভাষাই উজনি অসমৰ একমাত্ৰ লিখিত ভাষা আছিল।[২২১]

ৰজনীকান্ত বৰদলৈ, বৃন্দাবন চন্দ্ৰ গোস্বামী, বেণুধৰ শৰ্মা, ৰজনী কুমাৰ পদ্মপতি, সৰ্বেশ্বৰ শৰ্মা কটকী আদি পণ্ডিতেও চুতীয়াসকলক ক্ষত্ৰিয় বুলি কৈছে। এই সংক্ৰান্তত ৰজনীকান্ত বৰদলৈয়ে কৈছে- 'চুটীয়াসকল ভীষ্মকৰে বংশৰ ক্ষত্ৰিয় জাতিহে।'[২২২] 'সদৌ অসম চুতীয়া সন্মিলন'ৰ পঞ্চম অধিবেশনৰ সভাপতি ৰায়বাহাদুৰ বৃন্দাবন চন্দ্ৰ গোস্বামীয়ে তেওঁৰ ভাষণত চুতীয়াসকলক ক্ষত্ৰিয় বুলি স্বীকৃতি দিছে - 'সভ্যতাৰ পোহৰে বুৰঞ্জীৰ পাত পৰশোতে-নপৰশোতেই কুণ্ডিলৰ ৰজা ভীষ্মকৰ নাম পোৱা যায় ... চুতীয়াসকল সেই ভীষ্মকৰে বংশধৰ... ভীষ্মকৰ পিছতো চুতীয়াসকলে নিজৰ ক্ষমতা আৰু প্ৰভুত্ব অসমৰ এক প্ৰান্তত প্ৰবৰ্তাইছিল। চুতীয়াসকল যে ক্ষত্ৰিয় অনেক প্ৰত্নতাত্ত্বিকে নানা যুক্তিৰে প্ৰমাণ কৰি দেখুৱাইছে।'[২২৩] বেণুধৰ শৰ্মাৰ মতে, 'কাশ্যপ মুনি চুতীয়াই আছিল। আমাৰ গোত্ৰ হেৰালে তেওঁৰ নাম লৈয়ে দশ সংস্কাৰৰ কাম কৰোঁহঁক... অসমীয়া সাংস্কৃতিক অনুষ্ঠানৰ কাৰুকাৰ্য্য, বেদী প্ৰতিষ্ঠা আদি প্ৰায়বিলাকেই চুতীয়াৰপৰা অহা বুলি এইবিলাক মূৰত মথুৰাপাগ মাৰি বহি আছে।'[২২৪] ৰজনী কুমাৰ পদ্মপতিৰ মতেও,

[২২০] A semi-Hinduised tribe of the upper valley of Assam in the 13th century of the time of the Ahom invasion; **JASB**,1900, no.i, p. 42.

[২২১] They belong to a class of the Assamese population deserving of notice, as the Sooteea or Chootyahs, who at one time previous to Ahom supremacy held power on the North and South bank of Burrumpooter, in the modern district of Suddyah and Saikwah, and according to their own account are descendants of the original Khetree races of ancient Kamarupa ... Chootyah language appears to have been the only written language in existance at the period of their (Ahoms) advent in Assam.'Notes on Ancient Temples etc. *loc. cit.*,p.468,fn.

[২২২] 'শদিয়া ৰাজ্যৰ পুৰণি তত্ত্ব', **ৰজনী কান্ত বৰদলৈ ৰচনা মালা**, সঙ্কলন আৰু সম্পাদনা হেমন্ত কুমাৰ শৰ্মা, যোৰহাট,১৯৬৭,পৃঃ২০৩

[২২৩] সৰ্বেশ্বৰ শৰ্মা কটকী, 'চুতীয়া জাতিৰ সভ্যতা'; **স্মৃতিগ্ৰন্থ**; সদৌ চুতীয়া জাতি সন্মিলন, অসম; চুতীয়াকাড়ী (উত্তৰ লক্ষীমপুৰ), ১৯৭৯;পৃঃ৪ ।

[২২৪] সদৌ অসম চুতীয়া যুৱক সন্মিলনৰ সভাপতিৰ ভাষণ, ডিব্ৰুগড় কানাই গৰুচৰা গাঁও, ১৯৫৮; 'চুতীয়া কৃষ্টি' শিৰোনামেৰে **কাকডোঙা** নামৰ সদৌ চুতীয়া জাতি সন্মিলন, অসম-ৰ বৰহোলা অধিবেশন, ২০০৫-ৰ স্মৃতিগ্ৰন্থ, পৃঃ ১৮।

'ভীষ্মক আৰু শ্বেতৰ বংশধৰ চুটিয়াসকলে ক্ষত্ৰিয় বুলিয়েই গোসাঁনী পূজা কৰিছিল।'[২২৫] সৰ্বেৰ্শ্বৰ শৰ্মা কটকীয়েও কয় যে, 'ভাৰতৰ প্ৰায় যুঁজাৰু জাতি মাত্ৰকে ক্ষত্ৰিয়। চন্দ্ৰবংশীয় শ্বেত ৰজাৰপৰা শ্বেতীয়া - তাৰপৰা চুটিয়া শব্দ'।[২২৬]

চুতীয়া সমাজৰ এসময়ৰ এজন অগ্ৰণী ব্যক্তি জগত চন্দ্ৰ শইকীয়াই ১৯৭৬ চনত ইংৰাজীতে লিখা **About the Swatias** নামৰ গ্ৰন্থত চুতীয়াসকলক মঙ্গোলয়দ নহয় আৰু সেই সূত্ৰে কছাৰী, কোচ, লালুং, ৰাভা আৰু গাৰোসকলৰ লগত তেজৰ কোনো সম্পৰ্ক নাই বুলি কৈছে, কাৰণ চুতীয়াসকল হ'ল পুৰামাত্ৰাই হিন্দু (thorough and thorough Hindus)।[২২৭]

বেণুধৰ শৰ্মাৰ বাহিৰে এইসকল পণ্ডিতে 'ক্ষত্ৰিয়' শব্দটোৰে চুতীয়াসকলক অৱশ্যে আৰ্যবংশসম্ভূত বুলি ক'ব খোজা নাই। আৰ্যীকৰণ প্ৰক্ৰিয়াত যিকোনো শাসকীয় গোষ্ঠী বা ৰণুৱা জাতিকে ব্ৰাহ্মণসকলে ক্ষত্ৰিয় আখ্যা দিছিল আৰু আৰ্যসমাজৰ ক্ষত্ৰিয়ৰূপে চিনাকি দিবলৈ কোনো হিন্দু দেৱতা অথবা মহাকাব্য দুখনৰ কোনো প্ৰধান চৰিত্ৰৰ লগত তেওঁলোকৰ বংশ পৰম্পৰা দেখুৱাইছিল। যথা- কছাৰীসকলক তেওঁলোকে দ্বিতীয় পাণ্ডৱ ভীমৰ পুত্ৰ ঘটোৎকচৰ, কোচসকলক দেৱাদিদেৱ শিৱৰ আৰু আহোমসকলক ইন্দ্ৰৰ বংশধৰ বুলি পৰিচিত কৰিবলৈ তেওঁলোকে একো একোটা কাহিনীৰ সৃষ্টি কৰিছিল। ঠিক সেইদৰে চুতীয়াসকলকো মহাভাৰতৰ যুগৰ বিদৰ্ভৰ ৰজা ভীষ্মকৰ বংশধৰ বুলি এক কাহিনীৰ উপস্থাপন কৰিছে। আন এচাম ব্ৰাহ্মণে আকৌ তেওঁলোকক হিন্দু দেৱতা কুবেৰৰ সন্তানৰূপে স্বীকৃতি দি ক্ষত্ৰিয় মৰ্য্যদা প্ৰদান কৰিছে। এনে মৰ্য্যদা অৱশ্যে ৰাজবংশটোৰ লগতে সীমিত আছিল, সাধাৰণ প্ৰজালৈ ই সম্প্ৰসাৰিত হোৱা নাছিল। কেৱল বেণুধৰ শৰ্মাই কাশ্যপ মুনিক চুতীয়া বুলি কৈ চুতীয়াসকলক আৰ্য্যবংশসম্ভূত বুলি ক'ব বিচাৰিছে।

অনাৰ্য লোকক আৰ্যীকৃত কৰাৰ এটা প্ৰক্ৰিয়া ৰজনীকান্ত বৰদলৈয়ে এনেদৰে ব্যাখ্যা কৰিছে - 'আজিকালিৰ অনেক প্ৰত্নতাত্বিকে এইটো কয় যে মহাভাৰত-ৰামায়ণত উল্লেখ কৰা অনেক ৰজা, যেনে- বালি, সুগ্ৰীৱ, ৰাৱণ, জৰাসন্ধ, ভগদত্ত, ভীষ্মক এইসকল অনাৰ্য বংশৰে ৰজা আছিল। আমি কওঁ যে এইসকল ৰজা আদিতে যদিও অনাৰ্য আছিল বা থাকিব পাৰে তথাপি এইসকলে হিন্দুধৰ্মত সোমাই, হিন্দুধৰ্মৰ শক্তি-পন্থা গ্ৰহণ কৰি হিন্দু-ক্ষত্ৰিয় ৰজাসকলৰে সৈতে বৈবাহিক সূত্ৰে আবদ্ধ হৈ হিন্দুয়েই হৈছিল, আৰু ক্ষত্ৰিয় জাতৰ ভিতৰত ভুক্ত হৈছিল.... আৰ্যসকলে এফালে যেনেকৈ অনাৰ্যসকলক দমন

---

[২২৫] **সৰ্ব্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলী**, সম্পাদনা লক্ষ্মীনাথ তামূলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,২০০৪,পৃঃ৪৪৯ ।

[২২৬] ঐ, পৃঃ ৪৫০।

[২২৭] foreword, p. viii.



কৰিছিল, আনফালে সেইদৰেই অনাৰ্যৰে সৈতে বিবাহাদি বন্ধন কৰি লৈ অনাৰ্যকো নিজৰ ভিতৰুৱা কৰি লৈছিল।'[২২৮]

শংকৰদেৱে **ভাগৱত পুৰাণ**ৰ দ্বিতীয় স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ এটি শ্লোকৰ ভাঙণি কৰোঁতে হুন, অন্ধ্ৰ, পুলিন্দ আদি জাতিৰ লগত অসমৰ কেইটামান জাতিৰ নাম দিছে -

'কিৰাত কছাৰী খাসি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুবাচ ম্লেচ চণ্ডাল।।' ৫৩

ইয়াত 'যৱন' আৰু 'তুৰুক' শব্দই মুছলমানসকলক, 'অসম' শব্দই আহোমসকলক, 'কুবাচে' কোচসকলক আৰু 'ৰজকে' ধোবাসকলক বুজাইছে। ডিব্ৰুগড় জিলাত 'মুলুক' নামৰ দুখনমান গাঁও আছে। হয়তো বহুদিনৰ আগতে ইয়াত মুলুক নামৰ কোনোবা জনগোষ্ঠী আছিল। পিছত অন্যান্য জনগোষ্ঠীৰ লগত তেওঁলোক বিলীন হৈ গ'ল। 'কঙ্ক' শব্দই কাক বুজাইছে ধৰিব নোৱাৰি। 'ম্লেচ' আৰু 'চণ্ডাল' শব্দই চমাৰ, কৈৱৰ্ত, নদীয়াল আদি তথাকথিত নীহ জাতিৰ লোকসকলক বুজাইছে। শংকৰদেৱে **ভাগৱত পুৰাণ**ৰ দ্বিতীয় স্কন্ধৰ ভাঙণি কৰিবৰ সময়ত চুতীয়াসকলৰ পৰাক্ৰম অটুট আছিল। মাধৱদেৱো চুতীয়া ৰাজ্যৰে প্ৰজা আছিল। অসমত বৈষ্ণৱ ধৰ্মৰ সৰ্ব-প্ৰথম প্ৰচাৰক হৰিদেৱেও চুতীয়া ৰাজ্যতে জন্ম গ্ৰহণ কৰিছিল (১৪২৬ খ্ৰীঃ?)। গতিকে এই ক্ষেত্ৰত অসমৰ বিভিন্ন জাতিৰ ভিতৰত চুতীয়াসকলৰ নাম নথকাটো মন কৰিবলগীয়া। অৱশ্যে 'কিৰাত' শব্দৰে শংকৰদেৱে ঘাইকৈ চুতীয়াসকলক বুজাইছিল যেন লাগে আৰু ইয়াৰ ভিতৰতে হয়তো তেওঁ তিৱা, ৰাভা, হাজং আদি জনজাতিসকলকো অন্তৰ্ভুক্ত কৰিছিল।

**হেমকোষ** অভিধানত চুতীয়াসকলক এনেদৰে পৰিচয় কৰা হৈছে - 'পৰ্ব্বতৰপৰা আহি অনেক দিন পৰ্য্যন্ত ভৈয়ামত বাস কৰা এজাতি মানুহ, এই জাতি মানুহৰ অধিক ভাগ আসামৰ উজনী ছোৱাত পোৱা যায়; যেনে- সিঁহতৰ ভিতৰত যিবিলাকে হিন্দু ধৰম লৈছে আৰু বিয়াত হোম পোৰে; সিহঁত হিন্দু-চুটিয়া; বিয়াত হোম নোপোৰাবিলাক আহম-চুটিয়া, an aboriginal race of Assam।'[২২৯] প্ৰায় একেদৰে **চন্দ্ৰকান্ত অভিধান**তো চুতীয়াসকলৰ পৰিচয় দাঙি ধৰা হৈছে - 'পৰ্বতৰপৰা আহি অসমৰ ভৈয়ামত বহুকাল থকা এজাতি মানুহ (চুটিয়াৰ ভিতৰত আহোম ৰজাৰ ফুকন, বৰা, শইকীয়া আদি বিষয় খোৱা বংশও দুই-এক আছে; চুটিয়াবিলাকৰ হিন্দু ধৰ্ম লৈ বিয়াত হোম পোৰাবিলাকে হিন্দু-চুটিয়া, হোম নোপোৰাবিলাকে আহোম-চুটিয়া নাম লৈছে।); an aboriginal tribe of Assam now settled in the plains.'[২৩০]

---

[২২৮] পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২০৩।

[২২৯] তৃতীয় সংস্কৰণ, শিৱসাগৰ, ১৯৫৫, পৃঃ ৩৬১।

[২৩০] সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, গুৱাহাটী বিশ্ব-বিদ্যালয়, ১৯৮৭, পৃঃ ৩৫৮।

চুতীয়াসকলে নিজকে **মহাভাৰত**ৰ যুগৰ ভীষ্মকৰ সতি-সন্ততি বুলি পৰিচয় দিয়ে। আনহাতে তেওঁলোকৰ ৰাজবংশৰ উপাস্য দেৱতা হ'ল হিন্দু দেৱতা কুবেৰ। চুতীয়া ৰজাসকলে যিবোৰ ফলি লেখাইছিল তাৰ ক'তোৱেই কিন্তু তেওঁলোকে নিজকে ভীষ্মক অথবা কুবেৰৰ সন্ততি বুলি পৰিচয় দিয়া নাই। সেইবিলাকত তেওঁলোকৰ পৰিচয় অসুৰ বংশী ৰজা হিচাপেহে (সুৰৰিপো বংশাং শভূতো)। অসুৰ শব্দটোৱে অনাৰ্যসকলক বুজায় আৰু সেই অৰ্থত তেওঁলোক কোনো পধ্যেই আৰ্যবংশ সম্ভূত হ'ব নোৱাৰে।

বৰমূৰ্তিয়া বিল আৰু ঢকুৱাখনা কোঁৱৰ গাঁও তামৰ ফলিত চুতীয়া ৰজাসকলক বিযুৎস্ব বংশৰ (বিযুৎস্ব ব/ংশাদ) বুলি কোৱা হৈছে। ড° মহেশ্বৰ নেওগে বিযুৎস্বৰ অৰ্থ কি নজনাৰ হেতু লিখিছে - 'বৰ্তমান ফলিত দাতা ৰজাক বিযুৎস্ব (বিযুৎস্ব? ৱিযুৎস্ব? বিযুৎসু?) বংশত উৎপন্ন বোলা হৈছে। এই শব্দটোৰ অৰ্থ বৰ্তমানে উলিয়াব পৰা হোৱা নাই। ইয়াৰ অৰ্থ অসুৰনেকি? নে ই সত্যনাৰায়ণৰ, ধৰ্মনাৰায়ণৰ কোনোবাজনৰ পূৰ্বপুৰুষৰ নাম?'[২৩১] ড° নিত্যানন্দ গগৈয়ে বিযুৎস্বৰ অৰ্থ অৰ্জুন বুলি কৈছে।[২৩২] এই দুয়োটা অৰ্থৰ কোনটো শুদ্ধ সঠিককৈ ক'ব নোৱাৰিলেও ইয়াৰ দ্বাৰা চুতীয়াসকলক যে ক্ষত্ৰিয় বংশজাত কৰিবলৈ চেষ্টা কৰা হৈছিল তাৰ ইয়ো এটা প্ৰমাণ।

এইবোৰ আলোচনাৰপৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে চুতীয়াসকল মঙ্গোলীয় তথা বড়ো গোষ্ঠীৰ লোক। দ্ৰাবিড়ী সভ্যতাৰ লগত চুতীয়া সভ্যতাৰ কিছু মিল থাকিলেও আমি তেওঁলোকক দ্ৰাবিড়ী মূলৰ বুলি ক'ব নোৱাৰো। দ্ৰাবিড়সকল আহিছিল উত্তৰ-পশ্চিম দিশৰপৰা। তেওঁলোকৰ আদি বসতিস্থান আছিল পূব ভূমধ্যসাগৰীয় অঞ্চল। তাৰপৰা তেওঁলোকৰ এটা দল আহি প্ৰাচীন কালৰ গান্ধাৰ বা বৰ্তমানৰ পাকিস্তানৰ 'স্বাত' নামৰ এটা পৰ্বতত বাস কৰিছিলহি। এই স্বাত পৰ্বতত বাস কৰা বাবহে তেওঁলোকক 'স্বাতীয়া' বোলা হৈছিল আৰু এই 'স্বাতীয়া'ৰ পৰাই 'চুতীয়া' শব্দৰ উৎপত্তি। হিন্দু উপত্যকাত আৰ্যসকলৰ হাতত পৰাজিত হোৱাৰ পিছত তেওঁলোকে মধ্য ভাৰতৰ মালভূমি আৰু পাহাৰীয়া অঞ্চল জুৰি এখন ৰাজ্য পাতিছিল। এই ৰাজ্যখনৰ নাম আছিল চুতীয়া নাগপুৰ (বৰ্তমান এই ঠাই চোটনাগপুৰ নামেৰে জনাজাত)। কোনো কোনোৰ মতে, এই চোট-নাগপুৰৰপৰাই চুতীয়াসকল অসমলৈ আহিছিল। কিন্তু, এই যুক্তি সমৰ্থনযোগ্য নহয়। আনহাতে মুণ্ডাসকলৰ প্ৰসিদ্ধ নেতা, স্বাধীনতা সংগ্ৰামৰ শ্বহীদ বীৰচা মুণ্ডাৰ উপৰিপুৰুষ চটিয়া হৰমৰপৰা চোটনাগপুৰ নামটোৰ উৎপত্তি হৈছে বুলি জানিব পাৰি।[২৩৩]

---

[২৩১] 'বৰমূতিয়া-বিল তাম্ৰপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, জুলাই ১৯৭৬, পৃঃ ৯২।
[২৩২] 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ঃ ১৪৪৪ শক', **সোণগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, গোগামুখ, ধেমাজি, ২০০২, পৃঃ ১০১-১০৭।
[২৩৩] মহাশ্বেতা দেৱী, **অৰণ্যৰ অধিকাৰ**, অনুবাদ মনু সেন, কলকতা,১৯৮৯,পৃঃ৩০



টোটেমইজম (totemism) বা গোত্ৰ প্ৰতীকবাদৰ দৰ্শন দ্ৰাবিড়ীসকলৰ অৱদান বুলি কোৱা হয়। প্ৰাচীন ইজিপ্ততো মেকুৰীক পবিত্ৰ জন্তু বুলি জ্ঞান কৰা হৈছিল। এই বিশ্বাস চুতীয়া আৰু কছাৰীসকলৰ মাজতো আছে। বিশেষকৈ চুতীয়াসকলৰ মাজত এই বিশ্বাস বেছি গভীৰ। কিন্তু, টোটেম ইজমৰ সৃষ্টি প্ৰথম ইজিপ্তৰ সভ্যতাতে হ'লেও পিছলৈ ই প্ৰায় সকলো সভ্যতালৈ বিয়পি পৰিছিল। চীনদেশৰ সভ্যতাতো টোটেম ইজমৰ প্ৰভাৱ আছিল। ভাৰতলৈ অহাৰ পূৰ্বে চীন দেশত থাকোতেই কোনো কোনো মঙ্গোলয়দ লোক এই দৰ্শনৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। সেই ঐতিহ্যকে চুতীয়াসকলেও কঢ়িয়াই লৈ আহিছিল। আৰ্যসকলে গো বধ নকৰিছিল আৰু গৰুক পবিত্ৰ জন্তু জ্ঞান কৰিছিল। ইয়ো একপ্ৰকাৰ টোটেম ইজমেই।

অসমৰ চুতীয়াৰ সমগোত্ৰীয় অন্যান্য সকলো জনগোষ্ঠী, যেনে- কছাৰী, তিৱা, বৰাহী, কোচ, ৰাভা ইত্যাদি আটায়ে মঙ্গোলীয় গোষ্ঠীৰ। সোণোৱাল-কছাৰী আৰু চুতীয়াৰ বংশ পৰম্পৰা, ভাষা আৰু সংস্কৃতিৰ মাজত বহু সাদৃশ্য থকাৰ কথা ইতিমধ্যে কৈ অহা হৈছে। উত্তৰ-পূৰ্বাঞ্চলত এতিয়ালৈকে যিমানবোৰ অধিবাসীক জনজাতি অৰ্থাৎ tribal বুলি চিনাক্ত কৰা হৈছে, তেওঁলোক সকলোৱে মঙ্গোলীয় গোষ্ঠীৰ। নৃতাত্বিক অধ্যয়নেও চুতীয়াসকলক মঙ্গোলীয় গোষ্ঠীৰ বুলিহে ঠাৱৰ কৰিছে। গতিকে দৈহিক, সাংস্কৃতিক, ভাষিক সকলো দিশৰপৰাই চুতীয়াসকল মঙ্গোলীয় জনগোষ্ঠীৰ লোক বুলি প্ৰতিপন্ন হয়।

## চুতীয়াসকলৰ আদি বসতিস্থান আৰু 'চুতীয়া' শব্দৰ উৎপত্তিৰ আঁতিগুৰি

মঙ্গোলীয় জনগোষ্ঠীৰ তিব্বেত-মঙ্গোলীয় বা ইন্দোমঙ্গোলীয় শাখাৰ বড়ো ভাষা গোষ্ঠীৰ লোকসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ আদিম অধিবাসী। সুনীতি কুমাৰ চেটাৰ্জীৰ মতে "প্ৰাক্ঐতিহাসিক কালতে মঙ্গোলীয় লোকসকলে তেওঁলোকৰ আদি বাসস্থান দক্ষিণ পশ্চিম চীন দেশৰ পৰা বিভিন্ন দিশলৈ প্ৰবজন আৰম্ভ কৰিছিল। বেদ ৰচনাৰ কালতে খ্ৰীঃপূঃ দশম শতিকাত ভাৰতত তেওঁলোকৰ অৱস্থিতিৰ কথা জনা যায়। সেইকালত হিন্দু সংস্কৃতিৰ প্ৰভাৱ উত্তৰ আৰু উত্তৰ-পূব ভাৰতৰ মঙ্গোলীয় লোকসকলৰ ঠাই পাইছিল।"[২৩৪] পণ্ডিতসকলৰ মতে খ্ৰীঃপূঃ দুহেজাৰ বছৰৰ পূৰ্বে চীন দেশৰ দক্ষিণ পশ্চিম অঞ্চলত তেওঁলোক (তিব্বেত-মঙ্গোলীয় গোষ্ঠী)ৰ বসতি আছিল। কালক্ৰমত তেওঁলোক তাৰ পৰা দক্ষিণ পূব এচিয়াত বিয়পি পৰিল। তেওঁলোকৰ একাংশ তিব্বেতলৈ

---

[২৩৪] **Kirat-Jana-Kriti**, p. 16.

প্ৰবজন কৰি সেই দেশত প্ৰায় এহেজাৰ বছৰ বাস কৰিছিল। তিব্বেতত থকা কালত তেওঁলোক তিব্বেত, তিবোদ, ভোট বা বোদ নামে জনাজাত আছিল। এই তিব্বেত বা ভোট দেশৰ পৰা তেওঁলোকৰ কিছুমানে ব্ৰহ্মপুত্ৰ নদীৰ গতি অনুসৰণ কৰি পূব ভাৰতত সোমাই পাট কাপোৰৰ বেহা-বেপাৰ কৰিছিল। তেওঁলোকে নিজকে বড়ো বা বডো বুলি পৰিচয় দিছিল। বড়ো/বডো শব্দৰ অৰ্থ হ'ল মানুহ।[২৩৫]

কামৰূপৰ প্ৰথম ৰজা আছিল মহিৰঙ্গ দানব (অসুৰ)। তেওঁৰ পিছত ক্ৰমান্বয়ে হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰ কামৰূপৰ ৰজা হৈছিল। ঘটকাসুৰক বধকৰি নৰকাসুৰ কামৰূপৰ ৰজা হয়। পৌৰাণিক আখ্যান মতে বৰাহ অৱতাৰী বিষ্ণুৰ ঔৰসত আৰু ধৰিত্ৰীৰ গৰ্ভত নৰকৰ জন্ম হৈছিল আৰু বিদেহৰ আৰ্য ৰজা জনকে তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। নৰকক প্ৰাগজ্যোতিষপুৰলৈ অনাৰ পিছত বিষ্ণুৱে তেওঁক দিক্কৰ বাসিনী পৰ্যন্ত বিস্তৃত কিৰাতসকলক বধ কৰিবলৈ আজ্ঞা কৰিছিল আৰু সেই কাম কৰাৰ পিছতহে নৰকক প্ৰাগজ্যোতিষপুৰৰ ৰজা পাতিছিল।[২৩৬] তেওঁ প্ৰাগজ্যোতিষপুৰত বহুতো ব্ৰাহ্মণক স্থাপন কৰিছিল।[২৩৭] ইয়াৰ পৰা এইটো অনুমেয় যে নৰকাসুৰৰ ৰাজত্বৰ কালৰেপৰা পুৰণি অসম তথা কামৰূপ ৰাজ্যত আৰ্য গোষ্ঠীৰ লোকসকলৰ বসবাস আৰম্ভ হৈছিল আৰু তেওঁলোকৰ প্ৰব্ৰজনৰ কাৰণে এচাম কিৰাট লোকে নামনি ব্ৰহ্মপুত্ৰ উপত্যকাইদি উজনি ব্ৰহ্মপুত্ৰ অঞ্চললৈ গতি কৰিছিল। এই লোকসকল সময়ত ব্ৰহ্মপুত্ৰ, সোবণশিৰি, দিবং, দিহং নদীৰ গতি পথেৰে প্ৰবেশ কৰা বড়ো লোকসকলৰ লগত মিলি গৈছিল।

গেইটে অসমলৈ বড়ো বা কিৰাটসকলৰ প্ৰব্ৰজনৰ ওপৰত স্পষ্ট ব্যাখ্যা আগবঢ়োৱা নাই। তেওঁ লিখিছে অসম আৰু পূৰ্ব হিমালয়ৰ মাজেৰে মঙ্গোলয়োড্‌ৰ এক জনগোষ্ঠীৰ প্ৰৱেশ ঘটিছিল।[২৩৮] গ্ৰীয়াৰচনৰ মতে তিব্বেত-বৰ্মী জনগোষ্ঠীটো ব্ৰহ্মপুত্ৰ, চেন্দুইন, ইৰাৱতী, মেকং আদিৰ গতি পথেদি অসমত প্ৰবেশ কৰিছিল।[২৩৯] ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়েও বড়ো জনগোষ্ঠীটো উত্তৰ-পূব দিশৰ পৰা অসমত প্ৰবেশ কৰিছিল বুলি কৈছে।[২৪০] এণ্ডেলৰ মতে আকৌ বড়ো লোকসকল অন্ততঃ দুই ভাগেৰে অসমলৈ আহিছিল। ইয়াৰে এটা ভাগ সোৱণশিৰি, দিবং আৰু দিহং নদীৰ গতি পথেদি উত্তৰ-পূব অসমত সোমাইছিল আৰু আনটো ভাগ তিস্তা, ধৰ্লা আৰু সোণকোষ নদীৰ গতি পথেদি

[২৩৫] ভবেন্দ্ৰ নাৰ্জি, **বড়ো-কছাৰী**, পৃঃ ৫৪, ড° জয়ন্ত ভূষণ ভট্টাচাৰ্য্যৰ **কছাৰী ৰাজ্য ঃ উত্থান আৰু পতন**, যোৰহাট, ১৯৯৩, পৃঃ ১৫-১৬

[২৩৬] **Kalika Purana**, 38/118, B.N. Shastri, 'Tantra : A Neglected Source for the History of Assam', **JARS**, vol. xxviii, 1984-85, p. 96.

[২৩৭] Gait, **A History of Assam**, p. 13.

[২৩৮] *ibid.*, p. 4.

[২৩৯] Grierson, **Linguistic Survey of India**, vol. i, Part-I, Calcutta, 1903, pp. 48f.

[২৪০] *op.cit.*, p. 83.



নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰিছিল।[২৪১] নামনি অসমত থকা কালছোৱাতে তেওঁলোক তেওঁলোকৰ পূৰ্বগামী অষ্ট্ৰিক লোকসকলৰ সংস্পৰ্শলৈ আহিছিল। কালক্ৰমত তেওঁলোকে তাতে এখন ৰাজ্য পাতিছিল আৰু অষ্ট্ৰিকসকলক ভৈয়াম অঞ্চল এৰি দক্ষিণৰ পাহাৰলৈ যাবলৈ বাধ্য কৰিছিল।

বড়ো জনগোষ্ঠীৰ লোকসকল দলে-বলে কেৱল এবাৰতে অহা নাছিল। বিভিন্ন পথেৰে হোৱা এই লোকসকলৰ প্ৰবজন কেইবা শতিকাজুৰি চলিছিল আৰু সদিয়াৰ পৰা ধুবুৰী আৰু তাৰো পশ্চিমলৈ উত্তৰ আৰু পূববঙ্গ আৰু দক্ষিণে বৰাক উপত্যকা আনকি ত্ৰিপুৰালৈকে তেওঁলোকৰ বসতি বিস্তাৰ হৈছিল।

সভ্যতাৰ আদি স্তৰত ৰাজ্য অথবা ৰজাৰ ধাৰণাটো সমাজত নাছিল। এনে এক সময়ো আছিল যেতিয়া এনে কোনো ধাৰণা নোহোৱাকৈয়ে স্বছন্দে সমাজ চলিছিল। আদিম অৱস্থাত যাযাবৰী লোকসকলে কৃষি-কৰ্ম, পশু-পালন আৰু স্থায়ী বসতিৰ কাৰণে উপযুক্ত স্থানৰ সন্ধানত এঠাইৰ পৰা আন এঠাইলৈ ঘুৰি ফুৰিছিল। কিন্তু এটা সময়ত একোটা অঞ্চলত তেওঁলোকৰ গতি স্থবিৰ হৈ পৰিছিল আৰু তাতেই তেওঁলোকে নিগাজীকৈ বসবাস কৰিবলৈ লৈছিল। ভৌগোলিক সীমাবদ্ধতা, পাৰিপাৰ্শ্বিক আৰু প্ৰাকৃতিক প্ৰভাব আদিয়ে কালক্ৰমত তেওঁলোকক মূল সুতিৰ পৰা বিচ্ছিন্ন কৰি পেলাইছিল। এনেদৰে আলগ হৈ পৰাত একোখন অঞ্চল ব্যাপি বসবাস কৰা লোকসকল একো একোটা সুকীয়া নামেৰে জনাজাত হৈছিল আৰু নিজ নিজ একো একোটা জাতি বা ফৈদ গঢ়ি তুলিছিল। সময়ত তেওঁলোকৰ ভাষা সংস্কৃতিৰ আমূল পৰিবৰ্তন ঘটিছিল আৰু মূল শাখাটোৰপৰা পৃথক একো-একোটা নতুন ভাষা সংস্কৃতিৰ গঢ় লৈ উঠিছিল। তৎস্বত্ত্বেও তেওঁলোকৰ ভাষা-সংস্কৃতিত মূল সুঁতিৰ কিছুমান গুৰুত্বপূৰ্ণ ঐতিহ্যবাহী বৈশিষ্ট্য স্থায়ীভাৱে ৰৈ গৈছিল। মূল সুঁতিৰ পৰা আঁতৰ হৈ পৰা এই লোকসকলৰ মাজত স্বতঃস্ফুৰ্তভাবে অধিক আত্মীয়তা গঢ়ি উঠিছিল আৰু নিজ নিজ এলেকা বা জাতিটোৰ সুৰক্ষাৰ বাবে তেওঁলোক সংগবদ্ধ হৈ পৰিছিল। এনে সংগবদ্ধ ফৈদ বা জাতিটোক বাট দেখুৱাবলৈ একোজন দলপতি আৰু তেওঁক সহায় কৰিবলৈ একাধিক সহযোগীৰ সৃষ্টি হৈছিল আৰু কালক্ৰমত তেওঁলোকৰ দলপতিজন ৰজা হিচাপে আৰু ৰজা সমন্বিতে তেওঁৰ সহযোগীসকল জাতিটোৰ শাসকগোষ্ঠী হিচাপে স্বীকৃত হৈছিল। এনেদৰেই একো একোখন ৰাজ্য গঢ়ি উঠিছিল আৰু এই ৰাজ্যবোৰৰ মাজত সঘনে প্ৰতিদন্দ্বিতা চলিছিল। কেতিয়াবা কেতিয়াবা কোনো কোনো পৰাক্ৰমী ৰজাই একোটা ভূখণ্ডৰ ৰজাসকলক নিজৰ অধীনলৈ আনি কেন্দ্ৰীয়ভাবে শাসন কৰিছিল।

অসমত প্ৰৱেশ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত বিস্তৃত হৈ পৰা বড়ো জনগোষ্ঠীৰ

[২৪১] *op.cit.*, p. 4.

লোকসকলৰ মাজতো ওপৰোক্ত প্ৰক্ৰিয়াৰে বড়ো, কছাৰী, চুতীয়া, মৰাণ, বৰাহী আদি জনজাতিসমূহৰ উদ্ভৱ হৈছিল আৰু তেওঁলোকে নিজ নিজ ৰাজ্য স্থাপন কৰিছিল। চুতীয়া জাতিটোৱে আদিতে সোৱণশিৰি উপত্যকাত আত্মপ্ৰকাশ কৰিলেও পিছলৈ তেওঁলোকৰ ৰাজ্যাই গোটেই উজনি অসম খণ্ডত বিস্তৃত হৈ পৰিছিল। প্ৰাচীন চুতীয়া ৰাজ্যখন কামৰূপ ৰাজ্যৰ অন্তৰ্ভূক্ত নাছিল। প্ৰাচীন কামৰূপৰ পূব সীমা ব্ৰহ্মপুত্ৰৰ উত্তৰফালে দিক্ৰং আৰু দক্ষিণফালে দিক্ষু বা দিখৌ নদীহে আছিল।

ৰাজমোহন নাথৰ মতে চুতীয়াসকলৰ আদি বসতিস্থান আছিল হিমালয়ৰ উত্তৰত আৰু মানস সৰোবৰৰ পূবত অৱস্থিত স্বাত সৰোবৰৰ কাষৰীয়া অঞ্চল। তাৰ পৰা তেওঁলোকে সোৱণশিৰী নদীৰ গতি অনুধাৱন কৰি দক্ষিণলৈ প্ৰবজন কৰি আহি বৰ্তমানৰ উত্তৰ-লক্ষীমপুৰৰ উত্তৰ-পূব দিশত উপস্থিত হয় আৰু সেই অঞ্চলতে বসতি কৰিবলৈ লয়। কামৰূপৰ মানুহে তেওঁলোকক স্বাতীয়া বুলিছিল যিহেতুকে তেওঁলোক স্বাত সৰোবৰৰ কাষৰ অঞ্চলৰপৰা আহিছিল আৰু ইয়াৰ পৰাই চুতীয়া নামৰ উৎপত্তি হৈছিল।[২৪২] ৰাজমোহন নাথে আগবঢ়োৱা আন এক ব্যাখ্যা অনুযায়ী - "ভূটান ৰাজ্যৰ উত্তৰ-পূব অঞ্চলত প্ৰাচীন কালত চোতান বা চোটান নামৰ এখন ৰাজ্য আছিল আৰু সেই ৰাজ্যৰ অধিবাসী বুলি ভোটানবাসীক ভোটীয়া বা ভূটিয়া কোৱাৰ দৰে চোটান বা চোতান বাসীক চোটীয়া, চুটীয়া, চুটিয়া, চোতীয়া, চুতীয়া বা চতিয়া বোলা হৈছিল। চোতান ৰাজ্যৰ গৰাকী আৰু অধিবাসী বুলি চুতীয়া নামকৰণ যুক্তিযুক্ত যেন লাগে, বিশেষকৈ পিছৰ যুগৰ অসম বুৰঞ্জীত চুতীয়াসকলৰ বীৰত্ব আৰু ৰাজ্য শাসন দক্ষতাৰ পিনে চাই এওঁলোকক প্ৰাচীন ৰাজবংশী জাতি বুলি অনুমান কৰা স্বাভাৱিক।[২৪৩]

বেণুধৰ শৰ্মাই কৈছে 'চুতীয়া শব্দটো **চুতীয়া** বা **চুটীয়া** নে **চুতীয়া** তাক নিৰ্ণয় কৰিবলৈ বহুতো বেমেজালিত পৰিবলগীয়া হয়। ... খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আগছোৱাত লুইতৰ উত্তৰ-পূব খণ্ডত লেখা পঢ়া কৰা কোনোবা এটা সভ্য জাতি আছিল যদি সেইটোৱেই চুতীয়া জাতি।' ৰবিনচন চাহাবক সমৰ্থন কৰি তেখেতে কৈছে যে 'চুতীয়া জাতি আদিতে সোৱণশিৰি নৈৰ গুৰিত বাস কৰিছিল। সেই নৈখন য'ৰ পৰা ওলাইছে তাত এটা হ্ৰদ বা সৰোবৰ আছে। সৰোবৰৰ নামটো আজিকালি পতালি বুলি জনা যায়। পতালিক সেই অতীতত পথ্যাস্তস্তি বোলা হৈছিল। পথ্যাস্তস্তিৰ আন এটা নাম সৰস্বতী। পথ্যাস্তস্তিৰপৰা এখন সৰু নৈ বৈ আহিছে। পথ্যাস্তস্তিৰ নাম অনুসৰি এই নৈখনৰ নাম সৰস্বতী। ৰায়বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালা ডাঙৰীয়াই এই সৰস্বতীকে স্বতী সৰোবৰ বুলি কৈছে। **সৰঃ** মানে সৰোবৰ বা হ্ৰদ। সৰস্বতী বুলিলে স্বতী সৰোবৰ

---

[২৪২] **The Background of Assamese Culture**, p.68.

[২৪৩] 'চুতীয়া জাতিৰ পুৰাতত্ব', **জাগৰণ**, যোৰহাট জিলা চুতীয়া জাতি সন্মিলনৰ অষ্টম অধিবেশনৰ স্মৃতিগ্ৰন্থ, ১৯৮৯, পৃঃ৭



বুজায়। স্বতী সৰোবৰ তেতিয়া উত্তৰ লক্ষীমপুৰৰ পথালি পামত আছিল। আগৰৱালাই বেদৰ বচন আৰু বহুতো পণ্ডিতৰ মতৰ দ্বাৰাই প্ৰমাণ কৰিছে যে এই স্বতী নদীৰ পাৰত আদিতে চুতীয়াৰ বাসস্থান থকাটো নিৰ্ঘাট সত্য'।[২৪৪] সেইবাবে তেওঁ ঠাৰৰ কৰিছে যে, 'চুতীয়া জাতিয়ে নিজক স্বস্তিয়া (পথ্যাস্তস্তি) বা স্বতীয়া বুলি চিনাকী দিছিল। স্বতীয়া শব্দকে এতিয়া মানুহে ভুল কৰি চুতীয়া বুলি লেখিবলৈ ধৰিলে। আচলতে স্বতিয়া বা স্বতীয়া শব্দহে শুদ্ধ, চুতীয়া অশুদ্ধ। দৰং (বৰ্তমান শোণিতপুৰ) জিলাত থকা চতীয়া শব্দই ইয়াৰ সাক্ষ্য। গতিকে স্বতী নৈৰ পাৰত থকা বাবেই চুতীয়া জাতিৰ নাম চতীয়া বা চুতীয়া হ'ল এই কথা ঠিক'।[২৪৫]

বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে "ডিবং আৰু দিহং নৈৰ কাষত বড়ো কছাৰীসকলৰ হালালী ৰাজ্যখন আছিল। বড়ো গোষ্ঠীৰ সোনোৱাল কছাৰীসকলে এই ৰাজ্য পাতিছিল। তেওঁলোকৰ চৈধ্যতা বংশৰ বহুতো ৰজাই এই ৰাজ্যত ৰাজত্ব কৰিছিল। এটা সময়ত ছুটীয়াল বংশটোৱে ৰাজপাট লয়। এই ছুটীয়ালসকলেই বৰ্তমানৰ চুতীয়াসকল, যি সকলৰ দিবঙীয়া দেউৰীসকলে আজিও বড়ো গোষ্ঠীৰ চুতীয়া ভাষা কৈ থাকে। এই ভাষা গোটেই সোনোৱাল সকলৰ আছিল।

জি বা ডি বা টি মানে পানী বা নৈ, ছু মানে পবিত্ৰ, ছু-টি মানে পবিত্ৰ নৈ; সেই নৈৰ পাৰৰ মানুহ সকলেই চুতীয়া। এই ছু-জি বা ছু-টি বা ছু-ডি পবিত্ৰ নৈ যত আছে, সেই নামানুসৰি ছুটীয়া বা ছতীয়া বা শূতীয়া।"[২৪৬]

ডম্বৰুধৰ দেউৰীয়ে চুতীয়াসকলৰ আদিম পুৰোহিত দেউৰীসকলৰ মাজত প্ৰচলিত জনপ্ৰবাদৰ উল্লেখ কৰি কৈছে যে দেউৰী চুতীয়াসকল পুৰণি সদিয়া ৰাজ্যৰ আদিম অধিবাসী।[২৪৭] আন এটা জনশ্ৰুতিৰ মতে 'ভীষ্মক ৰজাৰ ৰাজত্ব কালৰ অৱসান ঘটাত তেওঁৰ ৰাজ্যত ভয়ংকৰ প্ৰলয় হ'ল। তাতে তেওঁৰ বংশ-পৰিয়াল, জ্ঞাতি-কুটুম্ব সকলো গোটপিট খাই শ্ৰীলুইতৰ পাৰে পাৰে পৰ্বতৰ ওপৰে ওপৰে হিমালয় পৰ্বতৰ ফালে যাবলৈ ধৰে। এইদৰে গৈ গৈ তেওঁবিলাক মানস সৰোবৰত ওলাল গৈ। তাৰ পাৰত বহুত বছৰ থকাৰ পিছত তিব্বতৰ ফালে আহি লাহচাত অনেক কাল থাকে। তাৰপৰা গৈ স্বতী সৰোবৰৰ পাৰত থাকেগৈ। তাতো বহুত বছৰ থাকে। এনেকৈ পৰ্ব্বতৰ ওপৰে ওপৰে নানা ঠাই ঘূৰি পকি পিছত তেওঁ বিলাকৰ সতি সন্ততিবিলাক আকৌ এই বাট ধৰিয়েই নিজৰ দেশলৈ আহে। স্বতি সৰোবৰৰ পাৰৰ পৰা অহা মানুহ বুলিয়েই তেওঁবিলাক স্বতীয়াৰ

---

[২৪৪] পূৰ্বোক্ত প্ৰবন্ধ, **কাকডোঙা**, পৃঃ ১৪-১৫।

[২৪৫] ঐ।

[২৪৬] **বিষ্ণুৰাভাৰ ৰচনাৱলী**, প্ৰথম খণ্ড, ডিচেম্বৰ, ১৯৮২, পৃঃ ৩৩৬, ৩৩৭।

[২৪৭] ডম্বৰুধৰ দেউৰী, **দেউৰী সংস্কৃতি**, শিৱসাগৰ, ১৯৪৬, পৃঃ ৮৬, ৮৭।

# সূচীপত্ৰ


১। পটভূমিকা - *ড° স্বৰ্ণলতা বৰুৱা* ১

২। চুতীয়া ৰাজ্যৰ গঠন আৰু বিকাশ - *ড° স্বৰ্ণলতা বৰুৱা* ৮৯

৩। চুতীয়া ৰাজ্যৰ পতনৰ কাৰণ আৰু পৰিণতি - *ড° অজিত বৰা* ১৬০

৪। চুতীয়া ৰাজতন্ত্ৰৰ পতন আৰু পৰবৰ্তী কালৰ উত্থানৰ প্ৰচেষ্টা ঃ জনগোষ্ঠীয় উত্থানৰ পটভূমি - *ড° ডম্বৰুধৰ নাথ* ১৭৬

৫। সমসাময়িক ৰাজনৈতিক শক্তিসমূহৰ লগত চুতীয়া ৰাজ্যৰ সম্পৰ্ক - *ড° জাহ্নৱী গগৈ নাথ* ১৯৫

৬। আহোম প্ৰশাসন ব্যৱস্থাত চুতীয়াসকল - *শ্ৰী জিতেন চুতীয়া* ২১১

৭। চুতীয়াসকলৰ সামাজিক বিভাজন ২২৯

(ক) হিন্দু চুতীয়া - *শ্ৰী কোযেশ্বৰ বৰুৱা*

(খ) দেউৰী চুতীয়া - *শ্ৰী অভিজিৎ বৰুৱা*

(গ) বৰাহী চুতীয়া - *শ্ৰী অভিজিৎ বৰুৱা*

(ঘ) আহোম চুতীয়া - *ড° খগেন চন্দ্ৰ ফুকন*

(ঙ) মিৰি চুতীয়া - *শ্ৰী নৃপেন শইকীয়া*

(চ) অন্যান্য চুতীয়া - *শ্ৰী নৃপেন শইকীয়া*

৮। বৰাক উপত্যকাৰ চুতীয়াসকলৰ অতীত আৰু বৰ্তমান - *মঃ ইচমাইল হুছেইন* ২৭০

৯। চুতীয়াসকলৰ ধৰ্মবিশ্বাস ২৮৬

(ক) পুৰণি ধৰ্মবিশ্বাস - *শ্ৰী প্ৰশান্ত কুমাৰ চুতীয়া*

(খ) লৌকিক ধৰ্মবিশ্বাস - *ড° সৰ্বেশ্বৰ চুতীয়া*

১০। চুতীয়াসকলৰ ভাষা - *ড° বেণু গগৈ* ৩১৪

১১। লোক-সংস্কৃতিত চুতীয়া জাতি - *ড° আনন্দ বৰমুদৈ* ৩২৩

১২। চুতীয়াসকলৰ সামাজিক আচাৰ অনুষ্ঠান - *শ্ৰী ভৱকান্ত চুতীয়া* ৩৩৭

১৩। চুতীয়াসকলৰ অৰ্থনৈতিক অৱস্থা ঃ অতীত আৰু বৰ্তমান - *শ্ৰী যতীন চুতীয়া* ৩৯৭

১৪। চুতীয়া ৰাজ্যৰ স্থাপত্য আৰু ভাস্কৰ্য্য - *ড° প্ৰদীপ শৰ্মা* ৪২৫

১৫। চুতীয়া ৰাজ্যৰ অন্তৰ্গত পৱিত্ৰ স্থানসমূহ - *শ্ৰী জিতু খনিকৰ আৰু শ্ৰী নৃপেন শইকীয়া* ৪৪৫

১৬। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতীয়াসকলৰ অৱদান - *শ্ৰী মৃদুপৱন গোস্বামী* ৪৮৯

১৭। চুতীয়াসকলৰ আত্মপৰিচয়ৰ চেতনা - *ড° দেৱব্ৰত শৰ্মা* ৫০০

১৮। ইতিহাসৰ জলঙাৰে সদৌ চুতীয়া জাতি সন্মিলন, অসম - *শ্ৰী কোযেশ্বৰ বৰুৱা* ৫৪৬

১৯। পৰম্পৰা আৰু পৰিবৰ্তনৰ দোমোজাত চুতীয়াসকল - *শ্ৰী মাণিক শইকীয়া* ৫৬৫

২০। পৰিশিষ্ট ৫৭৯

(ক) চুতীয়া ৰজাসকলৰ ফলি

(খ) অৰুণোদইত প্ৰকাশিত চুটিয়া ৰজাৰ বংসাৱলি

(গ) Paya Tamreaswari (Dikkarvasini) Temple Inscription

(ঘ) Note: The Chutya, or Sutya, of Upper Assam

(ঙ) Notes on Ancient Temples and other Remains in the Vicinity of Suddya

(চ) Notes on the Chutiyas of Upper Assam by E.T. Dalton

(ছ) চুতীয়া কৃষ্টি—বেণুধৰ শৰ্মা

(জ) ৰজনীকান্ত বৰদলৈৰ অভিভাষণ

(ঝ) নীলমণি ফুকনৰ অভিভাষণ

(ঞ) সৰ্বেশ্বৰ শৰ্মা কটকীৰ অভিভাষণ

(ট) সদৌ চুতীয়া জাতি সন্মিলনৰ অধিবেশনসমূহৰ চন, স্থান আৰু সভাপতি/সম্পাদকসকল ঃ ১৯২৫-২০০৫ খ্ৰীঃ

(ঠ) আলোকচিত্ৰ

২১। গ্ৰন্থপঞ্জী ৭০১

পৰা চতীয়া, তাৰ পৰা চুতীয়া নাম পায়।'[২৪৮]

ডঃ পৱনচন্দ্ৰ শইকীয়াৰ মতে চুতীয়া ভাষাত 'ছু'ৰ অৰ্থ হ'ল ভাল, গুণী, উচ্চ, ধুনীয়া, আনন্দময়; 'তী'ৰ অৰ্থ হ'ল আকাশৰ তৰা; ইয়াৰ লগত 'ঈয়া' প্ৰত্যয় যোগ হৈ চুতীয়া হৈছে। সংক্ষিপ্তভাবে কবলৈ হ'লে যিসকল গুণী-জ্ঞানী মানুহ এসময়ত আকাশ, উচ্চ ঠাই বা পৰ্বতৰ পৰা নামি আহিছিল তেওঁলোককে চুতীয়া বোলে।[২৪৯]

ললিত চুতীয়াই আফগানিস্থানৰ উত্তৰ অঞ্চলৰ স্বাত (Swat) নামৰ ঠাইৰপৰা স্বাতীয়া হোৱাৰ বেছি সম্ভাৱনা দেখিছে। চুতীয়াসকল পশ্চিম এচিয়াৰ মাতৃপ্ৰধান অনাৰ্য জাতিৰ বংশধৰ। সিন্ধু উপত্যকাৰ অনাৰ্যসকল পৰাজিত হোৱাৰ পিছত মধ্যভাৰতৰ সমভূমি আৰু পাহাৰীয়া অঞ্চলজুৰি অনাৰ্যসকলে এখন ৰাজ্য গঢ়িছিল। এই ৰাজ্যখনৰ নাম আছিল চুতীয়া নাগপুৰ। এই চুতীয়া নাগপুৰ আজিকালি ছোটনাগপুৰ হৈছে। স্বাতী বা ছত্তি সকলৰ পৰা হোৱা চুতীয়াসকলৰ প্ৰাধান্য থকা কাৰণে এই ভূখণ্ডৰ নাম হৈছিল চুতীয়া নাগপুৰ।[২৫০]

ৰজনী কুমাৰ পদ্মপতিয়ে লিখিছে - এই পূৰ্বদিশেই ত্ৰিলোকৰ দ্বাৰ, স্বৰ্গৰ দ্বাৰ আৰু সুখৰ দ্বাৰ। এই স্বৰ্গদ্বাৰৰ মূৰতেই স্বতী নদী আৰু স্বতী ৰাজ্য, কুণ্ডিলপুৰ বা ভীষ্মক নগৰ নাইবা সদিয়া। এই ৰাজ্যত বাসকৰোতা মানুহেই হ'ল চুতীয়া। তাম্ৰেশ্বৰী মন্দিৰৰ চৌপাশে থকা পৰ্বতবোৰেই আছিল চুতীয়াসকলৰ বাসভূমি।[২৫১]

জোনাৰাম হাজৰিকাৰ মতে তিব্বতৰ ফাললৈ অহা মঙ্গোলীয় গোষ্ঠীৰ লোকসকলৰ এচামে আকৌ মানস সৰোবৰ আৰু ইয়াৰ পূবত অৱস্থিত স্বত নামৰ হ্ৰদৰ উপকণ্ঠত বসবাস কৰিবলৈ লয়। ... শ্বত হ্ৰদৰ কাষৰ পৰা অহা কাৰণে তেওঁলোকক স্বটিয়া বুলিছিল আৰু এই শব্দই কালক্ৰমত চোটিয়া, চ'তীয়া বা চুতীয়া ৰূপলৈ পৰিবৰ্ত্তিত হয়।[২৫২]

চীন দেশক আগতে চাও-থিয়াচ (Chao-Thieus) বুলি কোৱা হৈছিল। এতিয়াও উত্তৰ ব্ৰহ্মদেশৰ মানুহে চীনক সাধাৰণভাৱে **থিয়াচ** বুলি কয়। **চাও-থিয়াচ** শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমি বা দেৱভূমি। এই শব্দটো পাছত অপভ্ৰংশ হৈ **চুহ-থিচ** (Chuh-This) বা

[২৪৭] **দেউৰী সংস্কৃতি**, পৃঃ ৫০; জীৱকান্ত গগৈ, পূৰ্বোক্ত প্ৰবন্ধ, **সোণগিৰি**, পৃঃ ৮২।
[২৪৮] ঐ, পৃঃ ৮৭।
[২৪৯] পবন চন্দ্ৰ শইকীয়া **দেউৰী চুতীয়া**, যোৰহাট, ১৯৭৪, পৃঃ ২।
[২৫০] পৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৩।
[২৫১] **আবাহন**, চতুৰ্থ সংখ্যা, **সৰ্ব্বেশ্বৰ শৰ্মা কটকী ৰচনাৱলী**, পৃঃ৫৭-৫৮-ত উল্লেখিত।
[২৫২] 'কিৰাত আৰু চুতীয়া জাতি', **স্মৃতিগ্ৰন্থ**, ধেমাজী জিলা চুতীয়া জাতি সন্মিলন, ঢকুৱাখনা, ১৯৮৫, পৃঃ ৮-১০।



**যুহ-থিচ** (Zuh-This) হয়গৈ। ইয়াৰ অৰ্থ হ'ল উচ্চভূমি বা উচ্চস্থান।[২৫৩] ৰাজমোহন নাথৰ এই মন্তব্যকে সাৰোগত কৰি সূৰ্য্যকান্ত খনিকৰে লিখিছে 'মানুহৰ কল্পনাত স্বৰ্গ হ'ল সকলোতকৈ ওখ ঠাই, সেইবাবেই **চৌ-থিয়াচ** বা **চুথিচ**ৰ পৰা অহা মঙ্গোলীয়ান গোষ্ঠীৰ লোকসকলক সৌমাৰ খণ্ডত সাধাৰণভাবে **চৌ-থিয়া** বা **চুইথিয়া** বুলি কোৱা হৈছিল। সেয়ে পিছত অপভ্ৰংশ হৈ চুথীয়া বা চুতীয়া হয়গৈ। এতেকে এই চুতীয়া শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমিৰ বা দেৱভূমিৰ লোক। তেওঁ আৰু লিখিছে, চুতীয়াসকলৰ নিজা ভাষাত চুতীয়া শব্দৰ অৰ্থ হ'ল নদীৰ পাৰৰ ওখ অঞ্চলত থকা মানুহ (**চু** - পৰ্বতৰ শৃঙ্গ বা ওখ অঞ্চল, **তী** - মানে নদী, **ইয়া** - স্থান)।[২৫৪]

চুতীয়া শব্দৰ উৎপত্তি সম্পৰ্কত সৰ্বেশ্বৰ বৰুৱাই এটা বেলেগ ব্যাখ্যা আগবঢ়াইছে। তেওঁ কয় - 'জাতিৰ নামৰ বাহিৰেও চুটীয়া শব্দটো অসমীয়া ভাষাত অন্য ঠাইতো ব্যৱহৃত হোৱা দেখা যায়। যেনে, চুটীয়া শালিকা, চুটীয়া লফা, চুটীয়া ধনু, চুটীয়া কাঁড়ী ইত্যাদি। ইয়াৰ ভিতৰত পিচৰ তিনিটা চুটীয়া জাতিৰ নামৰ পৰাই অহা বুলি বাদ দিলেও, 'চুটীয়া শালিকা' শব্দৰ চুটীয়া শব্দটো তেনে নহয়, ইয়াৰ এই সন্দৰ্ভত এটা বিশেষ তাৎপৰ্য মন কৰিব লগীয়া। অন্য শালিকাৰ মূৰত নথকা এটা মিহি পাখী বা চুলিৰ 'জ' এইবিধ শালিকাৰ ঠোঁটৰ গুৰিতে মূৰত চুটৰ দৰে থাকে। তাৰ পৰাই চুট থকা বুলি এইবিধ শালিকাক চুটীয়া (চুট + ঈয়া) শালিকা বোলে। শুনা যায় অতীজৰ চুটীয়া জন-জাতিৰ মানুহে মূৰৰ ওপৰত দ্বিজ বালকৰ চূড়াৰ দৰে চুলিৰ থিয় থোপা এটা বান্ধিছিল। ৰামায়ণৰ কিস্কিন্ধাকাণ্ডত কিৰাত জাতিৰ মানুহে মূৰৰ ওপৰত চুলিৰে জুৰ বা কুতা (Thick top knot) বন্ধা প্ৰথাৰ উল্লেখ আছে। [সেই কালৰ ডফলা, মিৰি আৰু আপাটানী সকলে এতিয়াও মূৰত (সোঁ মাজত নহ'লেও) কপালৰ ওপৰতে জুৰ বান্ধে] ইয়াকে চূড়া বা চুট বুলিছিল দেখি চুটীয়া শালিকাৰ দৰেই এওঁলোকৰো মূৰত চুট থকা বাবেই চুটীয়া বুলিছিল।'[২৫৫]

পণ্ডিতসকলৰ ওপৰোক্ত মতামতসমূহ পৰ্যলোচনা কৰি চুতীয়া নামটোৰ উৎপত্তিৰ সন্দৰ্ভত সিদ্ধান্ত এটা দিব নোৱাৰিলেও এক গ্ৰহণযোগ্য মত আগবঢ়োৱাটো কঠিন নহয়। সৰহ সংখ্যক লোকৰ মতে চুতীয়া শব্দটো **স্বত**, **স্বাত** অথবা **স্বতী/শ্বাতী** শব্দৰ পৰা আহিছে। এই নামৰ সৰোবৰ বা নদীখন বিভিন্ন জনৰ মতে বিভিন্ন স্থানত অৱস্থিত। সুদূৰ আফগানিস্থানৰ স্বাত উপত্যকা বা স্বাত অঞ্চলৰপৰা প্ৰবজন কৰি চুতীয়াসকল মধ্য ভাৰতৰ চুটিয়া নাগপুৰ ৰাজ্য গঠন কৰাৰ পিছত অসমলৈ প্ৰবজন কৰা কথাটো সাব্যস্ত কৰিবলৈ ঐতিহাসিক তথ্যৰ কথা বাদেই তেনে কোনো জনশ্ৰুতিও চুতীয়াসকলৰ মাজত

[২৫৩] R.M. Nath, *op.cit.*, pp. 1f.
[২৫৪] **চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতি**, পৃঃ ২৪।
[২৫৫] সৰ্বেশ্বৰ বৰুৱা, 'চতুৰ্দশ শতিকাৰ চুটীয়া ৰাজ্য', **মনিদীপ**, পঞ্চম বছৰ, চতুৰ্থ সংখ্যা, ফেব্ৰুৱাৰী, ১৯৬৫, পৃঃ ৩০৩।

প্ৰচলিত নাই। তিব্বতৰ মধ্য অঞ্চলত স্বতী নামৰ সৰোবৰ এটা থকা বুলিও বুৰঞ্জীৰ ক'তো উল্লেখ নাই। চুতীয়াসকলে চুতীয়া নামটো মূল সুতিটোৰপৰা আলগ হৈ পৰাৰ পিছতহে লৈছিল কিয়নো চুতীয়া নামেৰে কোনো প্ৰবজনকাৰী দল অসমত প্ৰবেশ কৰা নাছিল। গতিকে এই বিষয়ে কব পাৰি যে - সোৱণশিৰি নদীৰ আগাৰি অঞ্চলত অৱস্থিত স্বাতী নদী বা সৰোবৰ অথবা স্বেতগিৰি পৰ্বত অঞ্চলত বসবাস আৰম্ভ কৰি স্বকীয় সমাজ আৰু সংস্কৃতিৰে মূল সুতিটোৰপৰা সম্পূৰ্ণভাবে বিচ্চিন্ন হৈ পৰা বড়ো গোষ্ঠীৰ লোকসকলেই কালক্ৰমত অঞ্চলটোৰ নামেৰে চুতীয়া বুলি পৰিচিত হৈ পৰিছিল।

চুতীয়াসকল মূলতঃ মঙ্গোলীয় গোষ্ঠীৰ হ'লেও বিভিন্ন সময়ত তেওঁলোকৰ বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল আৰু এক সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰে তেওঁলোকে নিজস্ব সভ্যতা-সংস্কৃতি গঢ়ি তুলিছিল। তেওঁলোকৰ আদি বসতিস্থান চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলত থাকোঁতেই তেওঁলোক দাবিড়ী সংস্কৃতিৰ প্ৰভাৱলৈ আহিছিল বুলি আগতেই উনুকিওৱা হৈছে। ভাৰত তথা অসমভূমিত পদাৰ্পণ কৰাৰ পিছত তেওঁলোকে এই সভ্যতাৰ আৰু এটা প্ৰবাহ পাইছিল। মন কৰিবলগীয়া কথা যে অসমৰ সকলো জনজাতিৰ ভিতৰত চুতীয়াসকলেই সবাৰো আগতে হিন্দুকৃত হৈছিল। ব্ৰাহ্মণসকলৰ লগত আনকি তেওঁলোকৰ ৰাজবংশৰ বৈবাহিক সম্পৰ্কও গঢ়ি উঠিছিল। পিছত আলপাইন গোষ্ঠীৰ কলিতাসকলৰ লগতো তেওঁলোকৰ বৈবাহিক সম্পৰ্ক স্থাপন হৈছিল। তিৱা বা লালুংসকল আছিল চুতীয়াৰ সমগোত্ৰীয়। ডেল্টন চাহাবৰ মতে উজনি অসমৰ লালুংসকলে চুতীয়া বংশৰ লোক বুলি কোৱালৈ চাই সকলো লালুং চুতীয়া হোৱাটো অসম্ভৱ নহয়।[256] এইখিনিতে উল্লেখ কৰিব পাৰি যে লালুংসকলেও কেঁচাইখাঁতী গোসাঁনীক নৰবলিৰে পূজা কৰিছিল আৰু তেওঁলোকৰ পুৰোহিত সকলকো দেউৰী বোলা হৈছিল। নামনি অসমত বসবাস কৰা কালতে খাচী-জয়ন্তীয়াসকলৰ লগত চুতীয়াসকলৰ তেজৰ সম্পৰ্কও ঘটিছিল। সদিয়াত শাসন কৰি থাকোঁতে তেওঁলোক দাঁতি-কাষৰীয়া **মিচিমি, (আবৰ)** আদি, **(দফলা) (নিচি), (অকা) (হ্রুচ')** আদি পৰ্বতীয়া জনজাতিৰ সংস্পৰ্শলৈ আহিছিল আৰু তেওঁলোকৰ মাজত বৈবাহিক সম্পৰ্কও গঢ়ি উঠিছিল। চুতীয়াসকলৰ জৰিয়তেই পাহাৰীয়া এই জনজাতিসকলে ভাৰতীয় সংস্কৃতিৰ লগত সামান্যভাৱে হ'লেও পৰিচিত হ'ব পাৰিছিল।

সকলো বড়ো গোষ্ঠীৰ লোকৰ লগত চুতীয়াসকলৰ বৈবাহিক সম্পৰ্ক ঘটিছিল। পিছলৈ টাই-শান গোষ্ঠীৰ আহোমসকলৰ লগত তেওঁলোকৰ সম্পৰ্ক ইমান ব্যাপক হাৰত হৈছিল যে পৰৱৰ্তী কালত আহোম-চুতীয়া নামৰ এটা উপজাতিয়েই গঠন হৈছিল।

চুতীয়াসকলৰ নিজস্ব এটা ভাষা আছিল বুলি আগতেই উল্লেখ কৰা হৈছে। এই

[256] '... as a tribe of Lalongs in Upper Assam claim to be of Chutia descent, it is not unlikely that all the Lalongs are Chutias' - *op.cit.*, p. 78.



ভাষা বৰ্তমান দেউৰী সম্প্ৰদায়ৰ দিবঙীয়া খেলৰ মাজতহে জীয়াই আছে। চুতীয়াসকলৰ ভাষাই আহোমসকল আহিবৰ সময়ত উজনি অসমৰ মূল ভাষা আছিল বুলি গ্ৰীয়েৰচন চাহাবে কৈছে।[257] কোনো কোনোৰ মতে তেওঁলোকৰ নিজস্ব এটা লিপিও আছিল, কিন্তু সেই লিপি আজিলৈকে উদ্ধাৰ হোৱা নাই। আনহাতে, চুতীয়া ৰজাসকলৰ ভূমিদানৰ ফলিবোৰ সংস্কৃত ভাষাত লিখা হৈছিল আৰু তাৰ লিপি আছিল অসমীয়া। গতিকে ইতিমধ্যে নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ কমতা ৰাজ্যত গঢ়ি উঠা অসমীয়া ভাষাৰ এটা ৰূপেই নিশ্চয় চুতীয়া ৰাজ্যতো বিকাশ লাভ কৰিছিল আৰু এই ভাষাটোৱে ৰাজ্যিক বা সংযোগী ভাষাৰূপে স্বীকৃতি পাইছিল। মন কৰিবলগীয়া কথা যে ১৫২৪ খ্ৰীঃত চুতীয়া ৰাজ্য জয় কৰাৰ দুবছৰৰ পিছতে ১৫২৬ খ্ৰীঃত পোনপ্ৰথম অসমীয়া ভাষাত বুৰঞ্জী লিখা হৈছিল। এইখন বুৰঞ্জীত আহোম স্বৰ্গদেউসকলৰ উৎপত্তিৰপৰা আৰম্ভ কৰি ১৫২৬ খ্ৰীঃত কছাৰীৰ হাতৰপৰা মৰঙ্গী দখল কৰালৈকে মূল ঘটনাসমূহৰ বিৱৰণ দিয়া হৈছে।[258] সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত **সাতসৰী অসম বুৰঞ্জীত**[259] এইখন পুথি সন্নিবিষ্ট হৈছে। সহজেই অনুমেয় যে সেই সময়ত চুতীয়া ৰাজ্যত প্ৰচলিত অসমীয়া ভাষাৰ ঠাঁচতে বুৰঞ্জীখন ৰচনা কৰা হৈছিল। চুতীয়াসকলৰ নিজা ভাষাটোৱে তেওঁলোকৰ ৰাজ্যত বসতি কৰা ব্ৰাহ্মণ, কায়স্থ, কলিতাকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লগত সংযোগ স্থাপন কৰাটো সম্ভৱ নাছিল। এই বাস্তৱ দিশটো উপলব্ধি কৰিয়েই চুতীয়া ৰজাসকলে কামৰূপ, কমতা ৰাজ্যত প্ৰচলিত অসমীয়া ভাষাটোকে নিজৰ ৰাজ্যত প্ৰচলনৰ ব্যৱস্থা কৰিছিল। সম্ভৱতঃ চুতীয়াসকলৰ সবাতোকৈ পৰাক্ৰমী আৰু দূৰদৰ্শী ৰজা ৰত্নধ্বজপালে (আনুঃ ১২১০-১২৫০) কমতা ৰাজ্য অভিযানৰ সময়ৰ পৰা এই কাৰ্য আৰম্ভ হৈছিল। আগতে উল্লেখ কৰা হৈছে যে, চুতীয়া ৰজাসকলৰ ভূমিদানৰ ফলিবিলাক অসমীয়া লিপিত সংস্কৃত ভাষাত লিখা হৈছিল।

ভাষা এটাৰ স্থায়ীত্ব নিৰ্ভৰ কৰে সেই ভাষা কোৱা জনসংখ্যা আৰু এই ভাষাত ৰচিত সাহিত্য সম্ভাৰৰ ওপৰত। মুষ্টিমেয় জনসংখ্যাই এটা উন্নত ভাষাকো স্থায়ীভাৱে ৰাখি থ'ব নোৱাৰে। উদাহৰণস্বৰূপে, সংস্কৃত ভাষাটো পৃথিৱীৰ সকলো ভাষাৰ ভিতৰত সমৃদ্ধিশালী আৰু শ্ৰুতিমধুৰ। এই ভাষাত চহকী আৰু বিশাল সাহিত্য সম্ভাৰ আছে। তৎস্বত্বেও আজি ভাৰতবৰ্ষত সংস্কৃত ভাষা লুপ্তপ্ৰায়। বিদ্যায়তনিক অথবা যজমানী কামৰ বাহিৰে ভাৰতৰ কোনো মানুহৰে বৰ্তমান কথিত ভাষা সংস্কৃত নহয়। ইউৰোপৰ একালৰ লেটিন আৰু গ্ৰীক ভাষাৰ ক্ষেত্ৰটো একে কথাই খাটে। এইবোৰ ভাষাই ইংৰাজী

[257] 'The Chutiya language, indeed, may fairly claim to be the original language of Upper Assam', **Linguistic Survey of India**, vol. III, Part-II, p.118.

[258] H.C. Goswami, **Descripitive Catalogue of Assamses Manuscripts**, University of Calcutta, 0n behalf of the Govt. of Assam, 1930, p. 175.

[259] পৃঃ ৩৭-৬৬।

ভাষাৰ আধিপত্য আৰু সম্প্ৰসাৰণৰ লগত ফেৰ মাৰিব নোৱাৰিলে। অসমৰ ক্ষেত্ৰতো বাৰ শতিকামানৰ পৰা ঠন ধৰি উঠা অসমীয়া ভাষাৰ আধিপত্য আৰু সম্প্ৰসাৰণৰ ফলত অনেক জনজাতীয় ভাষাৰ বিলুপ্তি ঘটিল। স্থানীয় আধিপত্যশীল বহলভাৱে প্ৰচলিত ভাষাৰ প্ৰতি সৰু সৰু জনগোষ্ঠীসমূহ আকৰ্ষিত তথা নিৰ্ভৰশীল হোৱাটো স্বভাৱিক কথা।

ভাষাটোৱেই সদায় এটা গোষ্ঠীৰ পৰিচয় দাঙি নধৰে। যেনে- অষ্ট্ৰলয়দ খাচী-জয়ন্তীয়াসকলে নিজৰ অষ্ট্ৰিক ভাষা এৰি তিব্বেতো-বৰ্মী মনখেমৰ ভাষা গ্ৰহণ কৰিছিল। ভৈয়ামত থকা কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰো মাতৃভাষা অসমীয়া। টাই-শান গোষ্ঠীৰ আহোমসকলৰো নিজা ভাষা, লিপি আৰু সাহিত্য আছিল; কিন্তু আৰ্থ-ৰাজনৈতিক কাৰণতে তেওঁলোকে নিজৰ ভাষা ত্যাগ কৰি অসমীয়া ভাষা গ্ৰহণ কৰিছিল। একে কাৰণতে চুতীয়াসকলেও নিজৰ আদিম ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰিছিল। অৱশ্যে ৰাজবংশী বহু জনগোষ্ঠীৰ ভাষা সম্পূৰ্ণ হেৰাই নগ'ল। আহোমসকলৰ ভাষা তেওঁলোকৰ পুৰোহিত শ্ৰেণী মোহন-দেওধাই-বাইলুংসকলে আৰু চুতীয়াসকলৰ ভাষা তেওঁলোকৰ পুৰোহিত দেউৰীসকলৰ দিবঙীয়া খেলে সংৰক্ষণ কৰি থ'লে। জনামতে, চুতীয়া ভাষাত যথেষ্ট সংখ্যক সংস্কৃত শব্দ আছে। আৰ্যসকলৰ সংস্পৰ্শলৈ অহাৰ বাবেই এইটো সম্ভৱ হৈছিল; কিন্তু ভাষাটোৰ নিজস্ব বৈশিষ্ট্য হেৰাই যোৱা নাই।

## বিদৰ্ভ, কুণ্ডিল, ভীষ্মক আদি কিংবদন্তিৰ ঐতিহাসিক বিচাৰ

অসমত প্ৰচলিত জনশ্ৰুতিমতে চুতীয়াসকলৰ প্ৰাচীন ৰাজ্যৰ নাম আছিল বিদৰ্ভ আৰু ইয়াৰ ৰাজধানী আছিল কুণ্ডিল নগৰ। এই বিদৰ্ভতে মহাভাৰতৰ যুগত ভীষ্মক নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ জীয়াৰী ৰুক্মিণীক দ্বাৰকাৰ শ্ৰীকৃষ্ণই হৰণ কৰি নি বিবাহ কৰিছিল। এই কাহিনী **মহাভাৰতৰ** উপৰি **হৰিবংশ**, **ভাগৱত পুৰাণ** আৰু **বিষ্ণুপুৰাণত** বিশদভাৱে বৰ্ণিত হৈছে। সেইমতে বিদৰ্ভৰ ৰজা ভীষ্মক আৰু তেওঁৰ পত্নী শশীপ্ৰভাৰ পাঁচজন পুত্ৰ- একাদিক্ৰমে ৰুক্মবীৰ, ৰুক্মৰথ, ৰুক্মবাহু, ৰুক্মমালী আৰু ৰুক্মকেশ, আৰু ৰুক্মিণী নামৰ এটি মাত্ৰ কন্যা আছিল। কণিষ্ঠা সন্তান ৰুক্মিণী পিতৃ-মাতৃ আৰু ককায়েকহঁতৰ অতি আদৰৰ আছিল। ৰূপে-গুণে অতুলনীয়া ৰুক্মিণীয়ে দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ গুণ-গৰিমাৰ কথা শুনি তেওঁকে স্বামী বৰণ কৰিবলৈ মনে মনে ঠিৰাং কৰিছিল। এই কথাত ভীষ্মকৰ কোনো আপত্তি নাছিল, কিন্তু পুত্ৰ ৰুক্মই নন্দৰ ঘৰত এসময়ত 'গৰু চাৰি থকা কৃষ্ণ'লৈ আদৰৰ ভনীয়েকক বিয়া দিবলৈ অমান্তি হৈ চেদীৰাজ শিশুপালৰ লগত বিয়াৰ বন্দোৱস্ত কৰি সয়ম্বৰ সভাৰ আয়োজন কৰিলে। সয়ম্বৰৰ দিন ধাৰ্য হোৱাত ৰুক্মিণীয়ে ৰাজ পুৰোহিত বেদনিধিৰ হাতত এখন পত্ৰ দি তেওঁক হৰণ কৰি লৈ যাবলৈ



কৃষ্ণক অনুৰোধ জনালে। এই বাতৰি পাই শ্ৰীকৃষ্ণই সাৰথি দাৰুকক শীঘ্ৰে ৰথ সাজু কৰিবলৈ নিৰ্দেশ দিয়ে। সাৰথি দাৰুকে শব্য, সুগ্ৰীৱ, মেঘপুষ্প আৰু বলাহক নামৰ চাৰিটা ঘোঁৰাই টনা ৰথ অস্ত্ৰ-শস্ত্ৰ, বয়-বস্তু আৰু গৰুড়ৰ পতাকা তৰি সাজু কৰাত বেদনিধিক লৈ শ্ৰীকৃষ্ণ ৰথত উঠে আৰু এদিনৰ ভিতৰতে কুণ্ডিল নগৰত উপস্থিত হ'বলৈ সাৰথিক আজ্ঞা দিয়ে। এইখিনি কথা **শ্ৰীমদ্ভাগৱতৰ**[২৬০] অনন্ত কন্দলি কৃত দশম স্কন্ধৰ মধ্যভাগত এনেদৰে বৰ্ণনা কৰা হৈছে -

'শীঘ্ৰে চলা বুলি দাৰুকক মাতি আনি।
ৰথ সাজি আনা আদেশিলা চক্ৰপাণি।।
কৃষ্ণৰ বচন শুনি সাৰথি দাৰুক।
শব্য সুগ্ৰীৱ মেঘপুষ্প বলাহক।। ৪৮৫
এহি চাৰি ঘোড়ে ৰথ সাজিয়া তেখনে।
অস্ত্ৰে শস্ত্ৰে বস্ত্ৰে ছত্ৰে কাঞ্চনে ভূষণে।।
গৰুড়ৰ ধ্বজ নিয়া আগত চৰাইল।
নমস্কাৰ কৰি নিয়া কৃষ্ণত যোগাইল।। ৪৮৬

০ ০ ০

ব্ৰাহ্মণক ৰথত তুলিলা আঙ্কোৱালি।
আগ কৰি পাছত বসিল বনমালী।। ৪৮৭
সাৰথিক বোলন্ত ডাকিয়ো শীঘ্ৰ কৰি।
যেন একদিনে পাওঁ কুণ্ডিল নগৰী।। ৪৮৮'

'মহাশীঘ্ৰ বেগে' দিনটোৰ এবেলা আৰু গোটেই ৰাতি ৰথ চলাই গৈ পিছদিনা পুৱাই শ্ৰীকৃষ্ণ আহি বিদৰ্ভৰ কুণ্ডিল নগৰত উপস্থিত হ'লহি। বেদনিধি বিপ্ৰই ততালিকে শ্ৰীকৃষ্ণ আহি পোৱাৰ বাতৰি ৰুক্মিণীক জনালেহি। ইতিমধ্যে ভায়েক কৃষ্ণ অকলে গৈছে বুলি জানিব পাৰি বলোৰামে এদল সৈন্য-বাহিনী লৈ পিছে পিছে আহি কুণ্ডিল নগৰত উপস্থিত হয়।[২৬১] ৰুক্মিণীৰ স্বয়ম্বৰ সভাত চেদীৰাজ শিশুপালকে ধৰি অনেক নৃপতি আৰু ৰাজকুমাৰ সমবেত হৈছিল। এই স্বয়ম্বৰ সভাৰপৰাই শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি ৰথত তুলি লৈ যায়। ৰুক্মবীৰ আৰু সভাত উপস্থিত ৰজা আৰু ৰাজকুমাৰসকলে শ্ৰীকৃষ্ণক পিছে পিছে খেদি যায়। ৰুক্মবীৰে প্ৰতিজ্ঞা কৰিলে যে ৰুক্মিণীক উদ্ধাৰ কৰি আনিব নোৱাৰিলে তেওঁ নিজ ৰাজ্যত আৰু প্ৰবেশ নকৰে। কিছু দূৰ যোৱাৰ পিছতে শ্ৰীকৃষ্ণৰ লগত ৰুক্মবীৰৰ যুদ্ধ হয় আৰু এই যুদ্ধত শ্ৰীকৃষ্ণৰ হাতত ৰুক্মবীৰে পৰাজয় বৰণ কৰে।

---

[২৬০] সম্পাদিত কেশৱানন্দ দেৱগোস্বামী, প্ৰথম প্ৰকাশ, ১৯৮৪, ১৯৯৯ চনৰ নতুন সংস্কৰণৰ পুনৰ মুদ্ৰণ, ডিব্ৰুগড়, ২০০১।

[২৬১] **শ্ৰী মদ্ভাগৱত**, দশম স্কন্ধ, পদ নং-৫১১।

বিজয়ী শ্ৰীকৃষ্ণই ৰুক্মবীৰক বধ কৰিবলৈ উদ্যত হোৱাত ৰুক্মিণীৰ অনুৰোধত তেওঁ ৰুক্মবীৰক প্ৰাণে নামাৰি চুলি-ডাড়ি খুৰাই এৰি দিয়ে। নিজৰ প্ৰতিজ্ঞা ৰাখি ৰুক্মবীৰেও ৰাজ্যলৈ ঘূৰি নাহি ভোজকট নামে ঠাইত এখন নগৰ নিৰ্মাণ কৰি তাতে থাকিবলৈ লয়।[২৬২] আনহাতে শ্ৰীকৃষ্ণই দ্বাৰকাত প্ৰবেশ কৰি মহা সমাৰোহেৰে ৰুক্মিণীৰ লগত বিবাহ কাৰ্য সম্পাদন কৰিলে।

এই বৃত্তান্তৰ ওপৰতে নিৰ্ভৰ কৰি মহাপুৰুষ শংকৰদেৱে **ৰুক্মিণী হৰণ** নাট ৰচনা কৰিছিল। এইখন নাটৰ পটভূমি শংকৰদেৱে অসমীয়া সমাজৰ লগত মিলাকৈ এনে সুন্দৰভাৱে সজাইছে যে ভীষ্মক, শশীপ্ৰভা, ৰুক্মিণী, বিদৰ্ভ, কুণ্ডিল অসমীয়া জনমানসত অতি গভীৰভাৱে সোমাই পৰিল। এই কাৰণতে এইবিলাকৰ বস্তুনিষ্ঠ বিশ্লেষণে আজিও অনেকৰ আবেগ-অনুভূতিত আঘাত কৰাৰ সম্ভাৱনা আছে। সদিয়া অঞ্চলটো আছিল চুতীয়া সভ্যতাৰ লগত জড়িত আৰু চুতীয়াসকলে শংকৰদেৱৰ বহু শ বছৰৰ আগৰেপৰাই নিজকে ভীষ্মকৰ সতি-সন্ততি বুলি পৰিচয় দিছিল। গতিকে চুতীয়াসকলৰ ৰাজ্যখন বিদৰ্ভৰ লগত পৰিচিত কৰাটো সহজ কামেই আছিল।

কেৱল সেয়ে নহয়, দাঁতি-কাষৰীয়া মিচিমি, আদি, নিচি আদি পাহাৰীয়া জনজাতিৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি আৰু তেওঁলোকৰ কিছুমানৰ লগত একেলগে বসতি কৰি চুতীয়াসকলে ভীষ্মক, ৰুক্মবীৰ আৰু ৰুক্মিণীৰ কাহিনী এই জনগোষ্ঠীসমূহৰ মাজলৈ কঢ়িয়াই লৈ গৈছিল। ইদু বা চুলিকটা মিচিমিসকলে ভীষ্মকক তেওঁলোকৰ নিজৰ ৰজা বুলি ভাবিছিল আৰু শ্ৰীকৃষ্ণৰ পত্নী ৰুক্মিণীক তেওঁলোকে **ইনী মাছিল** (Inye Masyel) বা আদি মাতৃ হিচাবে গণ্য কৰে। ইদু পুৰুষসকলে তেওঁলোকৰ চুলি মূৰৰ চাৰিওফালে কাটে আৰু এই চুলিকটা নিয়মৰ লগত তেওঁলোকে ৰুক্মিণীৰ আখ্যান জড়িত কৰি কয় যে শ্ৰীকৃষ্ণৰ লগত ৰুক্মিণীৰ বিবাহৰ প্ৰতিবাদ কৰাৰ কাৰণেই তেওঁলোকক এনেদৰে নিৰ্যাতন দিয়া হৈছিল। অৱশ্যে পিছলৈ এই কলংকটো এটা সন্মানৰহে প্ৰতীক হৈ প্ৰচলিত আছে।[২৬৩] অতীতত চুতীয়াসকলৰ মাজতো চুলি কাটি দিয়াটো চূড়ান্ত অপমান বুলি গণ্য কৰা হৈছিল। গতিকে এই পৰম্পৰা মিচিমিসকলে নিশ্চয় চুতীয়াসকলৰপৰাই লৈছিল। ইদু-মিচিমিসকলে ৰুক্মিণী নগৰক **ৰুক্মিণী নাতি** বুলি কয়। **নাতি** শব্দৰ অৰ্থ **ইটা**, অৰ্থাৎ ইটাৰে তৈয়াৰী নগৰ।

পাণ্ডৱসকলৰ দিগ্বীজয় বৰ্ণনাত ভীষ্মক ৰজা আৰু ৰুক্মী (ৰুক্মবীৰ)ৰ উল্লেখ **মহাভাৰতত** আছে। এই দিগ্বীজয়ৰ বাবে যুধিষ্ঠিৰৰ ৰাজধানী ইন্দ্ৰপ্ৰস্থৰপৰা একেসময়ত অৰ্জুনক উত্তৰ দিশে, ভীমক পূবদিশে, সহদেৱক দক্ষিণ দিশে আৰু নকুলক পশ্চিম দিশে পঠোৱা হৈছিল। সহদেৱে দক্ষিণ দিশে দিগ্বীজয় কৰি গৈ ক্ৰমে অৱন্তী, ভীষ্মকৰ

---

২৬২ ঐ, পদ নং-৭২৯।

২৬৩ **Gazetteer of India, Arunachal Pradesh, Lohit District**, p.41.



ভোজকূটপুৰ, কোশল আৰু ৰেবা নদীৰ পাৰৰ ৰজাসকলক জয় কৰিছিল।[২৬৪]

বিদৰ্ভ ৰাজ্যৰ ভৌগোলিক অৱস্থিতি আৰু ভীষ্মকৰ বংশ পৰিচয়ৰ কথা **হৰিবংশৰ** ৰুক্মিণী হৰণ বৰ্ণনাত বিশদভাৱে দিয়া হৈছে। সেইমতে, 'ৰাজৰ্ষি যাদৱৰ বিদৰ্ভ নামে এক পুত্ৰ আছিল। তেওঁক বিন্ধ্যাচলৰ দক্ষিণে থকা বিদৰ্ভ দেশৰ ৰজা পতা হৈছিল। তেওঁৰ ক্ৰথ, কৈশিক প্ৰমুখ্যে যিসকল পুত্ৰ আছিল তেওঁলোক মহা বলশালী আছিল আৰু তেওঁলোক বীৰ্যসম্পন্ন ৰজা হৈ পৃথক পৃথক বংশৰ সৃষ্টি কৰিছিল।'[২৬৫] এই যাদৱ বংশতে ভীষ্মকৰ জন্ম হৈছিল। এওঁলোকৰ পূৰ্বপুৰুষ যজাতিৰ জ্যেষ্ঠ পুত্ৰৰ নাম যদু আছিল। এই যদুৰ বংশধৰসকলেই যাদৱ নামে জনাজাত হয়।[২৬৬]

ভীষ্মক বা কুণ্ডিলক চুতীয়া ৰাজ্যৰ সভ্যতা-সংস্কৃতিৰ লগত জড়িত কৰাত বিশেষ অসুবিধা নহ'লহেঁতেন যদিহে দাক্ষিণাত্যত ঐতিহাসিক কালত বিদৰ্ভ নামৰ এখন ৰাজ্য নাথাকিলহেঁতেন। খ্ৰীঃ পূঃ অষ্টম শতিকা মানত আৰ্য সভ্যতা উত্তৰ ভাৰতৰপৰা বিন্ধ্য পৰ্বত অতিক্ৰম কৰি দাক্ষিণাত্যক প্ৰবেশ কৰে। এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল অগস্ত্য মুনিয়ে। কিছুকাল পিছতে ৰেৱা অৰ্থাৎ নৰ্মদা নদীৰপৰা গোদাৱৰী নদী পৰ্যন্ত বিস্তৃত অঞ্চলত আৰ্যসকলে বিদৰ্ভকে ধৰি কেইবাখনো ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। প্ৰাচীন বিদৰ্ভ ৰাজ্যই বৰ্তমানৰ বেৰাৰৰ উপৰি ৱাৰ্দ্ধা আৰু ৱেঁগঙ্গা (Wainganga)ৰ মাজৰ ভূ-ভাগৰ এটা বুজন অংশ সামৰি লৈছিল। উত্তৰত এই ৰাজ্য তাপ্তীনদীৰ উপনদী পুৰুণীলৈকে বিস্তৃত আছিল।[২৬৭] **জৈমিনিয় ব্ৰাহ্মণতো** বিদৰ্ভ ৰাজ্যৰ উল্লেখ আছে। বাঘ মাৰিবপৰা **মাছল** নামৰ এজাতি কুকুৰৰ বাবে বিদৰ্ভ ৰাজ্য প্ৰখ্যাত আছিল।[২৬৮] **প্ৰশ্ন উপনিষদত** বিদৰ্ভ ৰাজ্যৰ ভাৰ্গৱ নামৰ এজন ঋষিৰ উল্লেখ আছে। **বৃহদাৰণ্যক উপনিষদত** বিদৰ্ভী কৌণ্ডিল্য নামৰ আন এজন ঋষিৰ নাম পোৱা যায়।[২৬৯] কৌণ্ডিল্য নামটো বিদৰ্ভৰ ৰাজধানী কুণ্ডিণ বা কুণ্ডিলৰপৰা উৎপত্তি হ'ব পাৰে। বেৰাৰৰ অমৰাৱতী জিলাৰ চান্দুৰ তালুকৰ ৱাৰ্দ্ধা নদীৰ পাৰত এতিয়াও কুণ্ডিণপুৰ নামৰ এখন ঠাই আছে। কুণ্ডিণপুৰৰ স্থানীয় লোক আৰু সমগ্ৰ বেৰাৰ বাসীয়েই এই ঠাইডোখৰক বিদৰ্ভৰ ৰাজধানী বুলি জানে। ইয়াত কৃষ্ণ আৰু ৰুক্মিণীৰ এটা বিখ্যাত মন্দিৰ আছে আৰু ইয়াত এখন ডাঙৰ বছৰেকীয়া মেলা বহে।[২৭০] এইবিলাক কথাই প্ৰমাণ কৰে যে বিদৰ্ভ ৰাজ্যখন দাক্ষিণাত্যতহে অৱস্থিত আছিল।

---

২৬৪ ড° পদ্মেশ্বৰ গগৈ, **অসমত প্ৰচলিত পৌৰাণিক আখ্যানসমূহৰ মূল বিচাৰ**, পৃঃ ১৭।

২৬৫ ঐ, পৃঃ২৩-২৪

২৬৬ ঐ, পৃঃ২৪

২৬৭ **Mahabharata, Banaparva**, 61, 22-23, 120, 131, cited in H.C. Raychaudhuri, **Political History of Ancient India**, sixth edition, Calcutta, 1953, p.86.

২৬৮ Cited in Raychaudhuri, *op.cit.*, p.86.

২৬৯ Raychaudhuri, *op.cit.*, pp.86f.

২৭০ পদ্মেশ্বৰ গগৈ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩১।

বিদৰ্ভৰ ৰাজবংশ যদুবংশী আছিল যদিও তেওঁলোকক সাধাৰণতে বিদৰ্ভী বুলি কোৱা হৈছিল। পুৰাণসমূহৰ মতে, সত্বাত (Satvat) বা সাত্বাত আৰু ভোজসকল যদুবংশৰপৰা উৎপত্তি হৈছিল আৰু তেওঁলোক বিদৰ্ভৰ দক্ষিণত শাসন কৰা ভোজ ৰাজবংশৰ সমগোত্ৰীয় আছিল। **মহাভাৰত** আৰু **হৰিবংশ** দুয়োখন গ্ৰন্থতে ভোজকূট নামৰ ঠাইটুকুৰা বিদৰ্ভৰ অন্তৰ্ভুক্ত কৰা হৈছে। কালিদাসে তেওঁৰ **ৰঘুবংশ**ত বিদৰ্ভৰ ৰজাক ভোজ বুলি কৈছে। দাক্ষিণাত্যৰ ৱাকাটক (Vakataka) বংশী ৰজা দ্বিতীয় প্ৰভাকৰসেনৰ চম্মক ফলি (Chammaka Grant) ৰপৰা স্পষ্ট হয় যে ভোজকূট ৰাজ্যখন পুৰণি বিদৰ্ভ ৰাজ্যৰ অন্তৰ্গত আছিল।[২৭১]

ইমানবোৰ ঐতিহাসিক তথ্যৰ বিপৰীতে বিদৰ্ভ ৰাজ্যখনৰ অৱস্থিতি উত্তৰ-পূব প্ৰান্তত থকা বুলি ক'ব নোৱাৰি। কুণ্ডিল নগৰৰ লগত সঙ্গতি থকা কুণ্ডিল নামৰ নদী এখন চুতীয়া ৰাজ্যত আছিল, এতিয়াও এই নদী প্ৰবাহমান। দাক্ষিণাত্যৰ বিদৰ্ভ ৰাজ্যৰ কুণ্ডিল নদীৰ লগত সম্বন্ধ নাই, সম্বন্ধ আছে ৱেৰা বা নৰ্মদা নদীৰ লগত। ভোজকূট ইতিমধ্যে কোৱাৰ দৰে বিদৰ্ভৰ এটা অংশ আছিল। চুতীয়া ৰাজ্য তথা অসমত ভোজকূট বুলি কোনো নগৰ নাই।

ৰুক্মিণী হৰণ উপাখ্যানৰ লগত আন কিছুমান অবাস্তৱ কথাও জড়িত হৈ আছে। উদাহৰণস্বৰূপে, ৰুক্মিণীয়ে বেদনিধিৰ হাতত দি পঠোৱা পত্ৰখন পায়েই শ্ৰীকৃষ্ণই চাৰিটা ঘোঁৰাৰে চলোৱা ৰথেৰে প্ৰায় বিশ ঘণ্টামান সময়ৰ ভিতৰতে বৰ্তমানৰ গুজৰাটত অৱস্থিত দ্বাৰকাৰপৰা আহি কুণ্ডিল নগৰ তথা বৰ্তমানৰ সদিয়া পাইছিলহি। এইটো এটা অলৌকিক ঘটনাৰ বাহিৰে আন একো নহয়। **হৰিবংশ**ত উল্লেখ আছে যে শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই শোণিতপুৰৰ বাণৰজাৰ জীয়েক ঊষাক হৰণ কৰিবলৈ আহি যেতিয়া বাণৰ হাতত বন্দী হৈছিল তেতিয়া নাৰদে শ্ৰীকৃষ্ণক এই বাতৰি দিওঁতে কৈছিল যে শোণিতপুৰ দ্বাৰকাৰপৰা ১০০০ যোজন (অৰ্থাৎ ৮৮,০০০ কিঃমিঃ) দূৰত অৱস্থিত আৰু তালৈ যোৱাৰ বাটো বৰ দূৰ্গম।[২৭২] এই দূৰত্বৰ গণনা অতিশয় অতিৰঞ্জিত। কিন্তু দ্বাৰকাৰপৰা কুণ্ডিল নগৰলৈ কৰা যাত্ৰাৰ ক্ষেত্ৰত তেনে দূৰত্ব বা দুৰ্গম বাটপথৰ কথা **হৰিবংশ**ত কোৱা হোৱা নাই। ইয়াৰপৰা প্ৰমাণ হয় দ্বাৰকাৰপৰা কুণ্ডিল নগৰ ইমান বেছি দূৰত্বত অৱস্থিত নাছিল।

**শ্ৰীমদ্ভাগৱত**ৰ দশম স্কন্ধত আৰু এযাৰ কথা উল্লেখ আছে -

'দ্বাৰকাত যাই কুণ্ডিলৰ নট ভাটে।
ৰুক্মিণীৰ গুণ বতি ফুৰে হাটে-বাটে।। ৩৯০'

উত্তৰ-পূব ভাৰতৰ অন্তিম প্ৰান্তত অৱস্থিত কুণ্ডিলৰপৰা নট-ভাট গৈ দ্বাৰকাত ৰুক্মিণীৰ গুণ বখানি ফুৰাটো সম্ভৱ নহয় আৰু তেনে পৰম্পৰা অসমৰ সমাজত কোনো দিনেই নাছিল।

২৭১ Raychaudhuri, *op.cit.,* pp.89-91.

২৭২ 'ভীষ্মক নগৰ', **প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথ ৰচনাৱলী**, সম্পাদিত ভৱকান্ত নাথ, গুৱাহাটী, ২০০২, পৃঃ ১৩৬।



তেনেহ'লে পুৰণি অসমত বিদৰ্ভ ৰাজ্যৰ অৱস্থিতি একেবাৰেই অমূলক নেকি? এই প্ৰশ্নৰ উত্তৰত আমি এইখিনিয়েই ক'ব পাৰোঁ যে প্ৰাচীন চুতীয়া ৰাজবংশক হিন্দুধৰ্মত দীক্ষিত কৰাৰ সময়ত দীক্ষা দিয়া ব্ৰাহ্মণসকলে চুতীয়া সংস্কৃতিৰ লগত মিলাকৈ এই কাহিনীৰ সৃষ্টি কৰিছিল অথবা চুতীয়া ৰাজবংশৰ প্ৰতিষ্ঠাতা কোনোবা ভীৰ্ম্মোক নামৰ ৰজা আছিল। **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা' নামৰ বুৰঞ্জীখন এটা সংস্কৃত শ্লোকেৰে আৰম্ভ হৈছে - 'শদিয়া কোৰ্জকো-দেশ চুটিকা-বংশ-ভীৰ্ম্মোকঃ। ধাতুদ্ৰৱে তু লেভে ন হত্বা জনপদানয়ঃ।।' ইয়াৰপৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে চুতীয়াসকলৰ আদি ৰজা কোনোবা ভীৰ্ম্মোক আছিল। এই ভীৰ্ম্মোক ৰজাক আৰ্যীকৃত কৰিবৰ সময়ত ব্ৰাহ্মণসকলে তেওঁক ভীষ্মক আৰু তেওঁৰ ৰাজ্যখনক বিদৰ্ভ নামেৰে নামকৰণ কৰিছিল যেন অনুমান হয়। এই ব্ৰাহ্মণসকলৰ পৰ্বপুৰুষসকলৰ বিদৰ্ভ ৰাজ্যৰ লগত সম্ভৱতঃ কিবা সম্পৰ্ক আছিল আৰু তাক যুগমীয়া কৰিবৰ কাৰণে তেওঁলোকে এই কাম কৰিছিল। পৃথিৱীৰ অন্যান্য বহুতো দেশৰ ক্ষেত্ৰতো এনে পৰম্পৰা দেখা যায়। যথা, ম্যানমাৰৰ পুৰণি নাম আছিল ব্ৰহ্মদেশ। এই নামটো ভাৰতৰপৰা যোৱা প্ৰব্ৰজনকাৰীসকলেই দিছিল। ব্ৰহ্মদেশত পয়ুসকলে প্ৰতিষ্ঠা কৰা ৰাজ্যখন আছিল শ্ৰীক্ষেত্ৰ; কাৰণ, পয়ুসকলে হিন্দু সংস্কৃতি গ্ৰহণ কৰিছিল। ইংলেণ্ডৰপৰা যিবোৰ বাসিন্দা গৈ বৰ্তমানৰ নিউজিলেণ্ডত বসতি স্থাপন কৰিছিলগৈ তেওঁলোকে সেই ঠাইটুকুৰাৰ নাম দিছিল 'নিউ ইংলেণ্ড' আৰু নিউ ইংলেণ্ডেই পিছলৈ নিউজিলেণ্ড হয়। আকৌ, যিসকল ইংৰাজ ইংলেণ্ডৰ ইয়ৰ্ক নগৰৰপৰা গৈ বৰ্তমানৰ আমেৰিকা যুক্তৰাষ্ট্ৰত বসতি স্থাপন কৰিছিল তেওঁলোকে সেই ঠাইটুকুৰাৰ নাম দিছিল নিউ ইয়ৰ্ক।

এতিয়া আমি 'কুণ্ডিল' শব্দৰ উৎপত্তিৰ প্ৰশ্নটোলৈ আহোঁ। চুতীয়া ভাষাত 'কুণ্ডিল' শব্দৰ অৰ্থ হ'ল 'তীব্ৰ বেগেৰে ওলাই অহা পানীৰ ঠাই' অথবা 'পৰ্বত ফালি ওলাই অহা পানী'।[২৭৩]

চুতীয়াসকলৰ আদিম ধৰ্ম-বিশ্বাস মতে মানৱ জাতিৰ আদি পিতৃ আছিল 'কুণ্ডি' আৰু আদি মাতৃ আছিল 'মামা'। এই 'কুণ্ডিমামা'ক বুঢ়া-বুঢ়ীৰ ৰূপত তেওঁলোকৰ অনেকে আজিও পূজা কৰে। এই 'কুণ্ডিমামা'ৰ পৰাই 'কুণ্ডিল' শব্দৰ উৎপত্তি হ'ব পাৰে।[২৭৪]

কোনো কোনোৱে কৌণ্ডিল্য নামৰ ব্ৰাহ্মণ এজনৰপৰা **কুণ্ডিল** শব্দৰ উৎপত্তি হ'ব পাৰে বুলি ধাৰণা কৰে। দেউৰীসকলৰ মাজত **কৌণ্ডিণ্য** নামৰ এটা গোত্ৰও আছে। প্ৰাচীন কম্বোজ ৰাজ্য ভাৰতবৰ্ষৰপৰা যোৱা **কৌণ্ডিণ্য** নামৰ এজন ব্ৰাহ্মণে প্ৰতিষ্ঠা কৰিছিল বুলি কম্বোডিয়া আৰু চীনা বুৰঞ্জীত উল্লেখ আছে। কৌণ্ডিণ্যৰ আচল ঘৰ

২৭৩ খনিকৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৪।

২৭৪ **দেউৰী সংস্কৃতি**, পৃঃ ৯-১০।

আছিল দক্ষিণ ভাৰতত আৰু তেওঁ কলিঙ্গ উপকূলেদি ইন্দো-চীনলৈ যাত্ৰা কৰিছিল। অসমত প্ৰচলিত জনশ্ৰুতিমতে পৰশুৰামে কিছুমান ব্ৰাহ্মণক আনি পুৰণি অসমত স্থাপন কৰিছিল। যিহেতু পৰশুৰাম চুতীয়া ৰাজ্যত অৱস্থিত পৰশুৰাম কুণ্ডৰ লগত জড়িত সেইহেতু অনুমান কৰিব পাৰি যে সেই ব্ৰাহ্মণসকলক পৰশুৰামে পৰশুৰাম কুণ্ডৰ আশে-পাশে স্থাপন কৰিছিল। সম্ভৱতঃ এইসকল ব্ৰাহ্মণৰ মাজৰে এজন আছিল কৌণ্ডিণ্য আৰু তেৱেঁই কম্বোজ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। এই কৌণ্ডিণ্যৰ নাম অনুসৰিয়েই ঠাইখনৰ নাম **কুণ্ডিণ** বা **কুণ্ডিল** হ'ব পাৰে।[২৭৫]

সদিয়া অঞ্চলত যিবোৰ প্ৰত্নতাত্ত্বিক নিদৰ্শন পোৱা গৈছে অনেকে সেইবোৰক মহাভাৰতৰ যুগৰ বুলি ক'ব বিচাৰে। কিন্তু পাথৰৰ ভাস্কৰ্য শিল্প ভাৰতবৰ্ষলৈ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ (৩২৬ খ্ৰীঃ পূঃ) লগে লগেহে আহে। সৰ্বপ্ৰথম গান্ধাৰ দেশত এই শিল্পৰ চৰ্চা হৈছিল কাৰণে ইয়াক গান্ধাৰ শিল্প বুলি কোৱা হয়। গান্ধাৰ শিল্পত বুদ্ধৰ মূৰ্তিহে কটা হৈছিল। সম্ৰাট অশোকৰ দিনত এই শিল্পই বিকাশ লাভ কৰে। তাৰপিছত খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীত গুপ্তবংশীয় ৰজাসকলৰ দিনত গান্ধাৰ শিল্পৰ অনুকৰণত হিন্দুৰ দেৱ-দেৱীৰ মূৰ্তিও পাথৰেৰে সাজিবলৈ লোৱা হয়। গুপ্ত যুগতে কামৰূপত প্ৰস্তৰ ভাস্কৰ্য আৰু শিল্পৰ প্ৰচলন হয়। গুৱাহাটী, তেজপুৰ আদি অঞ্চলত যিবোৰ শিলৰ মূৰ্তি পোৱা গৈছে তাৰ সৰহভাগেই গুপ্ত শিল্পৰ নিদৰ্শন। খ্ৰীষ্টীয় দশম-একাদশ শতিকাত বঙ্গদেশৰ পালসকলৰ দিনত পূৰ্ণ ভাৰতীয় ৰূপত এক প্ৰস্তৰ শিল্প প্ৰতিষ্ঠিত হয়। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথৰ মতে, নগাঁও, তেজপুৰৰ কোনো কোনো ঠাইত আৰু সদিয়া অঞ্চলত পোৱা মূৰ্তিবিলাকৰ সৰহ সংখ্যকেই পাল ভাস্কৰ্যৰ নিদৰ্শন।[২৭৬] প্ৰত্নতাত্ত্বিকসকলে সদিয়া অঞ্চলত যিবোৰ ঐতিহাসিক ভগ্নাৱশেষ পাইছে সেইবোৰ নিৰ্মাণৰ সময় দশম শতিকাৰপৰা পঞ্চদশ শতিকাৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। এই কথাৰপৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে পৰৱৰ্তী (মধ্যযুগ) চুতীয়া ৰজাসকলৰ দিনত এই ৰাজপ্ৰসাদ, দুৰ্গ ইত্যাদি নিৰ্মাণ কৰা হৈছিল আৰু তেওঁলোকৰ ঐতিহ্যৰ লগত মিল ৰাখি ঠাইবোৰৰ নাম কুণ্ডিল নগৰ, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ আদি কৰা হৈছিল।

২৭৫ K.L. Barua, **Studies in the Early History of Assam**, (ed.) M. Neog, Jorhat-Guwahati, 1973, p. 228.

২৭৬ 'ভীষ্মক নগৰ', **প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথ ৰচনাৱলী**, পৃঃ ১৩৮।

# চুতীয়া ৰাজ্যৰ গঠন আৰু বিকাশ

## প্ৰাচীন চুতীয়া ৰাজ্য

### ষষ্ঠ শতিকাৰ মাজভাগৰ পৰা তেৰশ শতিকাৰ আগভাগলৈ (আনুমানিক ৫৫০-১২২০ খ্ৰীঃ)

চুতীয়াসকল অসমৰ এচাম আদিম অধিবাসী। তেওঁলোকৰ ৰাজনৈতিক ইতিহাস অতি পুৰণি। মধ্য যুগৰ সদিয়া কেন্দ্ৰিক চুতীয়া ৰাজ্যখনৰ উত্থান-পতনৰ মাজতে এই ইতিহাস সীমাৱদ্ধ নহয়। পৌৰাণিক যুগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূৰ্বভাগত বিদৰ্ভ নামৰ ৰাজ্য এখন থকাৰ কথা বহুতো পণ্ডিতৰ লিখনিত পোৱা যায়। এই ৰাজ্যৰ ৰাজধানী কুণ্ডিল একে নামৰ নৈখনৰ পাৰত অৱস্থিত আছিল। **মহাভাৰত** আৰু **পুৰাণ**সমূহত বৰ্ণিত বিদৰ্ভ ৰাজ্যখন আধুনিক বেৰাৰ অঞ্চলত অৱস্থিত বুলি মানি ল'লেও এটা সময়ত কুণ্ডিল নগৰক কেন্দ্ৰ কৰি শ্ৰীলুইতৰ পাৰতো যে ভীষ্মক অথবা ভীৰ্ম্মোক নামৰ ৰজাৰ প্ৰতিষ্ঠিত বিদৰ্ভ নামৰ ৰাজ্য এখন আছিল এই সত্যটো নুই কৰিব নোৱাৰি।[১] এই প্ৰসঙ্গত চাৰ এডৱাৰ্ড গেইটে কৈছে যে, অসমত প্ৰথম বসতি স্থাপন কৰা হিন্দুসকলে তেওঁলোকৰ বসতি স্থানৰ নাম কোনোবা পৌৰাণিক ঘটনাৰ লগত জড়িত স্থানৰ নামানুসাৰে নামকৰণ কৰাতো গতানুগতিক প্ৰক্ৰিয়া আছিল। অসমৰ বাদেও ভাৰতবৰ্ষৰ বহুতো ঠাইত, আনকি সুদূৰ যাভা দ্বীপতো, এনে প্ৰক্ৰিয়াৰ স্বাক্ষৰ পোৱা যায়।[২] আজিও প্ৰবাহিত কুণ্ডিল, আৰু সদিয়াৰ উত্তৰে প্ৰায় ৪০ কিলোমিটাৰ দূৰত্বত অৱস্থিত ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, শিশুপাল দুৰ্গ আদিৰ ভগ্নাৱশেষে এই বিদৰ্ভ ৰাজ্যখনৰ স্মৃতি বহন কৰি আছে।

কনকলাল বৰুৱাই অনুমান কৰা মতে মধ্যযুগৰ চুতীয়া ৰাজ্যখন স্থাপন হোৱাৰ পূৰ্বে সদিয়াক কেন্দ্ৰ কৰি এটা ক্ষুদ্ৰ অঞ্চলত এক হিন্দু ৰাজবংশই ৰাজত্ব কৰিছিল। ভীষ্মক বংশোদ্ভৱ বুলি দাবী কৰা এই ৰাজবংশটোৰ ৰাজ্যখনৰ নাম বিদৰ্ভ আছিল আৰু এই ৰাজ্যৰ ৰাজধানী কুণ্ডিল একে নামৰ নৈখনৰ পাৰত অৱস্থিত আছিল। এই ৰাজ্যখন

১ 'শদিয়া কোৰ্জকো দেশঃ চুটিকা-বংশ-ভীৰ্ম্মোকিঃ।/ ধাতু দ্ৰব্যে তু লেভে ন হত্বা জনপদানয়ঃ।।' **দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট** 'চুটিয়াৰ কথা', ১৯৬২, পৃঃ ১৯৮।

২ Gait, **A History of Assam**, p.15.

সম্ভৱতঃ প্ৰাকআৰ্য দ্ৰাবিড়ীসকলৰ ৰাজ্য আছিল আৰু কালক্ৰমত মঙ্গোলীয়সকলৰ আক্ৰমণত এই ৰাজ্যৰ বিলুপ্তি ঘটিছিল।[৩] কিন্তু অসমৰ কোনো দ্ৰাবিড়ী জনগোষ্ঠীয়ে ভীষ্মক বংশোদ্ভব বুলি দাবী কৰাৰ প্ৰমাণ পোৱা নাযায়, তদুপৰি এই অঞ্চলত বাস কৰা দ্ৰাবিড়ীসকলৰ ওপৰত মঙ্গোলীয়সকলৰ আক্ৰমণৰ বিশ্বাসযোগ্য তথ্যও আজিকোপতি পোহৰলৈ অহা নাই।

ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে অসমৰ উত্তৰ-পূব ভাগত **বিষ্ণু পুৰাণ**ত উল্লেখিত ভীষ্মকৰ কুণ্ডিল ৰাজ্যখনৰ অস্তিত্ব দুৰ্গ আৰু মন্দিৰৰ ভগ্নাৱশেষে বহন কৰি আছে বুলি কৈছে। তেওঁৰ মতে এই অঞ্চলত তিব্বত-বৰ্মী লোকসকলৰ বসতি আছিল আৰু তেওঁলোকৰ মাজতে হিন্দুৰাজ্য বা প্ৰদেশ এখন স্থাপন কৰা হৈছিল। সাহিত্য আৰু পুৰাতত্ত্বই সদিয়াৰ সমীপত আলপাইন বা আৰ্য্য ৰাজ্য বা প্ৰদেশ এখন থকাটো সমৰ্থন কৰে।[৪] ড° চৌধুৰীৰ এই উক্তিৰ কোনো নিৰ্ভৰযোগ্য সমল নাই। সদিয়া অঞ্চলত আলপাইন আৰু আৰ্য্যসকলৰ বসতি আছিল, কিন্তু তেওঁলোকৰ ৰাজ্য নাছিল।

কামৰূপৰ পালবংশী ৰজা ইন্দ্ৰপাল (আনুঃ ১০৫০-১০৬৫)-ৰ গুৱাহাটী ভূমিদানৰ তাম্ৰপত্ৰত তেওঁৰ পিতৃ পুৰন্দৰ পালে পৰশুৰামে জয় কৰা উত্তৰ-পূব কোণত অৱস্থিত ৰাজ্যখনৰ ৰাজকুঁৱৰী দুৰ্লভাক বিয়া কৰাইছিল বুলি লিপিবদ্ধ কৰা হৈছে।[৫] ড° ডম্বৰুধৰ নাথ আৰু দেৱেশ্বৰ বৰুৱাই সম্ভৱতঃ এই গৰাকী ৰাজকন্যা চুতীয়াসকলৰ জীয়ৰী আছিল বুলি মত প্ৰকাশ কৰিছে।[৬] ৰাজমোহন নাথে এই অঞ্চলত ১১৩২ খ্ৰীঃত প্ৰতিষ্ঠা হোৱা কলিতা ৰাজ্যৰ ৰাজকুঁৱৰীকে পুৰন্দৰ পালে বিয়া কৰাইছিল বুলি উল্লেখ কৰিছে।[৭] আনহাতে এই গৰাকী ৰাজকুঁৱৰীৰ পুত্ৰ ইন্দ্ৰপাল ১০৫০ খ্ৰীঃত ৰাজপাটত বহিছিল।[৮] গতিকে কালানুক্ৰমৰ ভেটিতে ৰাজমোহন নাথৰ সিদ্ধান্তটো গ্ৰহণ কৰিব নোৱাৰি।

ৰাজমোহন নাথে তেওঁৰ **The Background of Assamese Culture** নামৰ গ্ৰন্থখনত - চুতীয়াসকলৰ ৰাজনৈতিক ইতিহাসৰ প্ৰাচীনত্বৰ কথা আলোচনা কৰিছে। মাতৃতান্ত্ৰিক খাছী-জয়ন্তীয়া ৰাজ্যৰ শাসনভাৰ প্ৰাচীন কালত নাৰীৰ হাতত আছিল। সেইবাবে এই ৰাজ্যখনক **নাৰী-ৰাজ্য** বোলা হৈছিল। সেই নাৰী শাসকসকলৰ ভিতৰত কা-উৰ্মিৰ বিষয়েহে কিছু বিতংকৈ জনা যায়। কা-উৰ্মিয়ে তেওঁৰ ৰাজ্যত থকা কামৰূপ ৰাজ্যৰ ৰাজপ্ৰতিনিধি সিন্ধুৰাইক বিয়া কৰিছিল। তেওঁলোকৰ কন্যা আছিল কা-উৰ্বৰা।

[৩] K.L. Barua, **Early History of Kamarupa**, Second Edition, Gauhati, 1966, p. 179

[৪] P.C. Choudhury, **The History of Civilisation of the People of Assam**, Gauhati, 1966, pp.235f.

[৫] M.M. Sharma, **Inscriptions of Ancient Assam**, Gauhati University, 1978, pp. 179-192

[৬] ডম্বৰুধৰ নাথ, **অসম বুৰঞ্জী**, গুৱাহাটী, ১৯৮৭, পৃঃ ৬৫; দেৱেশ্বৰ বৰুৱা, 'চুতীয়াসকলৰ ঐতিহাসিক উত্থান-পতন', **কুণ্ডিল**, চতুৰ্থ সংখ্যা, গোলাঘাট, ২০০০, পৃঃ ৪৫।

[৭] **The Background of Assamese Culture**, p. 64.

[৮] M.M. Sharma, *op. cit.*, p. 179; P.C. Choudhury, op. cit., p. 236.



সিন্ধুৰাইৰ পৰৱৰ্তী ৰাজপ্ৰতিনিধি কৃষকক কা-উৰ্বৰাই প্ৰেমত পৰি বিয়া কৰাইছিল। কৃষকে জয়ন্তীয়া ৰাজ্যৰ শাসন ব্যৱস্থাৰ বহুতো পৰিবৰ্তন সাধন কৰিছিল। তেওঁ মাতৃতান্ত্ৰিক শাসন ব্যৱস্থাৰ ঠাইত পিতৃতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ আগবাঢ়িছিল। এই শাসন সংস্কাৰে জয়ন্তীয়া ৰাজ্যত ডাঙৰ বিপ্লৱৰ সূত্ৰপাত কৰিব পাৰে বুলি আশংকা কৰি কামৰূপৰ ৰজাই তেওঁক নিজ ৰাজলৈ ঘূৰাই আনে। সি যি কি নহওক, ৰাণী কা-উৰ্বৰাৰ মৃত্যুত কৃষকৰ পুত্ৰ হটক জয়ন্তীয়া ৰাজ্যৰ ৰজা হয়। তেতিয়াৰে পৰা মাতৃতান্ত্ৰিক জয়ন্তীয়াসকলৰ ৰাজনৈতিক ক্ষমতা নাৰীৰ হাতৰ পৰা পুৰুষৰ হাতলৈ যায়। কৃষকৰ পুত্ৰ হটকৰ বংশধৰসকলে জয়ন্তীয়া আৰু চিলেটত কেইবা পুৰুষ ধৰি শাসন কৰিছিল। তেওঁলোকক সাধাৰণতে পাতৰ বোলা হৈছিল। পাতৰ গঞা ফৈদটো চুতীয়াসকলৰ মাজতহে আছিল। এই ফৈদটো পশ্চিমৰ ফালে গৈ হেৰাই গ'ল বুলি চুতীয়াসকলৰ মাজত জনশ্ৰুতি আছে। এই জনশ্ৰুতিয়ে কৃষক চুতীয়া আছিল বুলি ইঙ্গিত দিয়ে।[৯]

ৰাজমোহন নাথৰ সূত্ৰটোক সমৰ্থন কৰি ড° হেমলেট বাড়েই তেওঁৰ **The History and Culture of the Khasi People** নামৰ গ্ৰন্থত লিখিছে - "কামৰূপৰ বৰ্মনসকলৰ ৰাজত্বৰ আৰম্ভণিৰ পৰাই জয়ন্তীয়া ৰাজ্যত পাতৰ চুতীয়া অধিনায়কসকলে শাসন কৰিছিল যেন লাগে।[১০] আন এক জনশ্ৰুতি মতে কৃষকৰ পিছত তেওঁৰ পুত্ৰ গুহক বা গুহক সিং জয়ন্তীয়া ৰাজ্যৰ ৰজা হয়। তেওঁ ৬৩৪ খ্ৰীঃৰ পৰা ৬৭৫ খ্ৰীঃলৈকে ৰাজত্ব কৰিছিল। ইয়াৰ পাছত জয়ন্তীয়া ৰাজ্যত এঘাৰ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা বাৰ শতিকাৰ তৃতীয় দশলৈকে তিনিজন পাতৰ চুতীয়া ৰজাই শাসন কৰিছিল বুলি জনা যায়। তেওঁলোক আছিল যথাক্ৰমে বছুৰা (১০৬০-১০৯০ খ্ৰীঃ), কামদেৱ (১০৯০-১১১৯ খ্ৰীঃ) আৰু ৰুদ্ৰদেশ্বৰ (১১১৯-১১৩০ খ্ৰীঃ)। এই পাতৰ চুতীয়া বংশ শেষ হৈ যোৱাৰ পাছত জয়ন্তীয়া ৰাজ্যত ব্ৰাহ্মণসকলৰ শাসন আৰম্ভ হয়।[১১]

খাছী-জয়ন্তীয়াসকলৰ ৰাজ্য পৰিষদ (State Council)-ত এতিয়াও চুতীয়া নামৰ এটা পদবী আছে। এই পদবীটোৱে অৱশ্যে কোনো ফৈদ নুবুজায়। জয়ন্তীয়াসকলৰ দলৈ পৰিষদতো দলৈ, পাতৰ আৰু চুতীয়া নামৰ গুৰুত্বপূৰ্ণ পদবী এতিয়াও আছে। এই তিনিওটা পদবীৰ নাম চুতীয়াসকলৰ পৰাই খাছী-জয়ন্তীয়া সমাজত প্ৰচলিত হৈছিল। দলৈ পৰিষদত দলৈৰ পিছতে পাতৰসকলৰ স্থান।[১২]

ৰাজমোহন নাথৰ মতে কৃষক ভূতিবৰ্মনৰ ৰাজত্বৰ কালত আনুমানিক ৫৫০ খ্ৰীঃত জয়ন্তীয়া ৰাজ্যৰ ৰাজ-প্ৰতিনিধি নিযুক্ত হৈছিল। বৰ্মনসকলৰ ৰাজত্বৰ কালছোৱাত

[৯] pp. 96-97.

[১০] p. 57.

[১১] ibid., p. 58.

[১২] H. Bareh, "Khasi Chutia as an Official Title", **Kundil**, (ed) B. K. Chutiya, Guwahati, 1993, p.6.

জয়ন্তীয়াসকলে কামৰূপ ৰাজ্যৰ প্ৰভুত্ব মানি আছিল।[১৩] তেওঁ আৰু লিখিছে যে কামৰূপৰ বৰ্মন বংশী ৰজাই চুতীয়াসকলৰ লগত মিত্ৰ ভাব ৰাখিবৰ অৰ্থে পাতৰগঞা ফৈদৰ অধিনায়ক এজনক সমন্বয়ৰক্ষী বিষয়া হিচাবে নিযুক্তি দিছিল। বৰ্ত্তমান তেজপুৰ চহৰৰ কিছু দূৰত অৱস্থিত চতিয়াত তেওঁৰ কাৰ্যালয় আছিল। এই বিষয়াজনে দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিসকলৰ লগতো সম্পৰ্ক ৰাখিব লগা হৈছিল। এই সুবিধাকৈলৈ ভাস্কৰবৰ্মনৰ মৃত্যুত সিংহাসনৰ প্ৰশ্নলৈ এক অস্থিৰ অৱস্থাৰ সৃষ্টি হোৱাত এই বিষয়াজনে এটা বিদ্ৰোহ সংঘটিত কৰি কামৰূপৰ সিংহাসন অধিকাৰ কৰে। আনকথাত ভাস্কৰবৰ্মনৰ মৃত্যুৰ পাছত নতুন এটা ৰাজবংশ প্ৰতিষ্ঠা কৰা শালস্তম্ভ আছিল চুতীয়া জাতিৰ লোক।[১৪]

পদ্মনাথ গোহাঞিবৰুৱাৰ মতে - "কামৰূপত কিৰাটবংশী ৰজাই ৰাজত্ব কৰাৰ সময়তে সৌমাৰৰ অতি পূবভাগত কুণ্ডিল বা বিদৰ্ভ ৰাজ্যত ... ভীষ্মক নামেৰে এজন সুপ্ৰখ্যাত চুতীয়াবংশী ৰজাই ৰাজত্ব কৰিছিল। এতিয়াৰ সদিয়া অঞ্চল আৰু তাৰ আশে পাশে বিস্তৃতভাবে এই ৰাজ্য অৱস্থিত আছিল। কুণ্ডিল্য বা কুণ্ডিল নগৰ ভীষ্মক ৰজাৰ ৰাজধানী আছিল। বৰ্ত্তমান শদিয়া অঞ্চলৰ পূব দাঁতিয়েদি এতিয়াও কুণ্ডিনপানী বুলি এখনি সৰু নৈয়ে তাৰ চিনাকী দিছে।[১৫]

ডম্বৰুধৰ দেউৰীয়ে কয় যে, কামৰূপৰ পূৰ্বভাগ সৌমাৰ পীঠ বা সদিয়া অঞ্চল মহাভাৰতৰ সময়ৰপৰা বেলেগ হৈ আছিল। তেতিয়া সদিয়া বিদৰ্ভ ৰাজ্য নামেৰে প্ৰসিদ্ধ আছিল। কুণ্ডিল পানী নৈৰ পাৰতে বিদৰ্ভ ৰাজ্যৰ ৰাজধানী কুণ্ডিল নগৰ আছিল। কুণ্ডিলৰ নিজস্ব ঐতিহাসিক মহিমা আছে। কুণ্ডিলপানী নৈখনে সেই গৌৰৱময় নামৰ স্মৃতিকে এতিয়াও বহন কৰি বৈ আছে। অতীজৰ কুণ্ডিল নগৰৰ ধ্বংসাৱশেষ এতিয়ালৈকে অটুত আছে। এই নগৰ বৰ প্ৰখ্যাত আৰু সমৃদ্ধিশালী আছিল। ইয়াত ভীষ্মক ৰজাই ৰাজত্ব কৰাৰ কথা জনা যায়। চুতীয়াসকল ভীষ্মক ৰজাৰ বংশধৰ আৰু যক্ষাধিপতি ধনৰ দেৱতা কুবেৰৰ পৰা উৎপত্তি হোৱা বুলি তেওঁলোকৰ মাজত প্ৰবাদ আছে।[১৬]

আহোম ৰাজত্ব কালৰ কেইবাখনো বুৰঞ্জী পুথিত প্ৰাচীন কালত দিহিং নদীৰ পাৰত এখন হিন্দু ৰাজ্য বা হিন্দু ৰজা শাসিত ৰাজ্য আছিল বুলি উল্লেখ আছে। আহোমসকলৰ উপৰিপুৰুষ খুন্‌লুং-খুন্‌লায়ে ৪২০-৫৮৪ খ্ৰীঃ কালছোৱাত অৱৰোহণ আৰু ৰাজ্য শাসন কৰিছিল।[১৭] কাশীনাথ তামুলী ফুকন আৰু হৰকান্ত বৰুৱা সদৰামীনৰ মতে খুন্‌লুং-খুন্‌লাই দুয়ো ভায়েকে হিন্দু মতৰ ৪৯০ শকৰ আঘোন মাহত স্বৰ্গৰ পৰা

---

১৩ R.M. Nath, op. cit., p. 68, 98.

১৪ *ibid*, pp.97, 98.

১৫ পদ্মনাথ গোহাঞি বৰুৱা, **অসমৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৭৬, পৃঃ ১০।

১৬ **দেউৰী সংস্কৃতি**, চিলং, ১৯৬৪, পৃঃ ১-৮।

১৭ হৰকান্ত বৰুৱা সদৰামিন, **অসম বুৰঞ্জী**, (সম্পাদিত), সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী, ১৯৬২, পৃঃ ৫; কাশীনাথ তামুলী ফুকন, **অসম বুৰঞ্জীৰ সাৰ**, (সম্পাদিত), প্ৰতাপ চন্দ্ৰ চৌধুৰী, গুৱাহাটী, ১৯৬৪, পৃঃ ৩।



লোহাৰ শিকলিৰে নামি আহিছিল।[১৮] খুনলুঙে চল্লিশ বছৰ ৰাজত্ব কৰিছিল।[১৯] এই তথ্য অনুসৰি খুন্‌লুঙৰ ৰাজত্ব কাল আনুমানিক ৪৯০-৫৩০ শক (৫৬৮-৬০৮ খ্ৰীঃ) আছিল। চল্লিশ বছৰ ৰাজভোগ কৰি খুন্‌লুঙে পুতেকসকলৰ মাজত ৰাজ্য ভগাই দি স্বৰ্গলৈ যায়। তেওঁ খুন্‌লা নামৰ পুতেকক মুংকুলা (মুং - দেশ, কুলা - হিন্দু) অৰ্থাৎ হিন্দুদেশ অথবা হিন্দুৰজা শাসিত দেশখনৰ ৰজা পাতি দিহিং নদীৰ পানী সোধাই থাকিবলৈ দিছিল।[২০] এখন টাই ভাষাত হাতে লিখা বুৰঞ্জীমতে খুন্‌লাৰ ৰাজ্যৰ পশ্চিম সীমা নাম-টি-লাও (Nam-Ti-Lao) বা লোহিত নদী আছিল।[২১] **আহোম বুৰঞ্জী** মতে খুন্‌লাক মুংকুলা ৰাজ্যৰ শাসনভাৰ দি ঘোৰাৰ যোগান দি থাকিবলৈ আদেশ কৰিছিল।[২২] নেই ইলিয়াচৰ **Introductory Sketch of the History of the Shans in Upper Burma and Western Yunnan** নামৰ গ্ৰন্থত খুন্‌লাই কৰৰ পৰিবৰ্তে চিন্দৱিন (Chindwin) নদীৰ পানী সোধাই থাকিব লগা হৈছিল বুলিহে উল্লেখ আছে।[২৩] যি কি নহওক, উক্ত গ্ৰন্থসমূহে প্ৰাচীন ঐতিহাসিক কালত দিহিং নদীৰ পাৰত এখন হিন্দু ৰাজ্য অথবা হিন্দুৰজা শাসিত ৰাজ্য থকাৰ প্ৰমাণ দিছে। ড° লীলা গগৈয়ে লিখিছে - "আনুমানিক সপ্তম শতিকাতে অসমত পোন প্ৰথম টাই শক্তিৰ প্ৰভাব পৰে। খুনলা নামৰ ৰাজকোঁৱৰ এজন মুংকুলা দেশৰ অধিপতি আছিল। কিছুদিন পোনপতীয়াকৈ শাসন কৰাৰ পিছত টাইসকলে এই ৰাজ্য কৰতলীয়া কৰি এৰি থৈ যায়। সেইবাৰ টাইসকলে অসম জয় কৰাৰ কোনো চিন নৰল কিন্তু মৰাণ, বৰাহী, চুতীয়া ৰজাৰ পৰা খুঁত তুলি নিছিল।[২৪] ড° গগৈৰ এই উক্তিয়ে প্ৰাচীন কালত দিহিঙৰ পাৰত চুতীয়া, মৰাণ, বৰাহীসকলৰ ৰাজ্য থকাৰ সাক্ষ্য দিছে।

ইতিমধ্যে নেই ইলিয়াচে তেওঁৰ পূৰ্বোক্ত গ্ৰন্থত প্ৰাচীন চুতীয়া ৰাজ্যখনৰ বিষয়ে অসমীয়া ভাষাত এখন হাতেলিখা বুৰঞ্জীৰ[২৫] ভিত্তিত "উজনি অসমৰ চুতীয়া বা চুতাসকলৰ এক সংক্ষিপ্ত টোকা" (Note : The Chutiya or Sutya of Upper Assam) শিৰোনামৰ এটা অধ্যায় সন্নিবিষ্ট কৰিছে।[২৬] সম্পূৰ্ণ বুৰঞ্জীখন উদ্ধাৰ হোৱা নাই যদিও টোকাটোৰ পৰা প্ৰাচীন ৰাজ্যখনৰ বিষয়ে বহুতো গুৰুত্বপূৰ্ণ কথা জানিব পৰা

---

১৮ কাশীনাথ তামুলীফুকন, পৃঃ ৩; হৰকান্ত বৰুৱা সদৰামিন, পৃঃ ৫।

১৯ ঐ, পৃঃ ৫; ঐ, পৃঃ ৭।

২০ হৰকান্ত বৰুৱা সদৰামিন, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮।

২১ P. Gogoi, *op. cit.*, p.134, fn. 139.

২২ অনুবাদিত আৰু সম্পাদিত, গোলাপ চন্দ্ৰ বৰুৱা, গুৱাহাটী, ১৯৩০, পৃঃ ২২।

২৩ p. 61.

২৪ **আহোম জাতি আৰু অসমীয়া সংস্কৃতি**, শিৱসাগৰ, ১৯৬১, পৃঃ ১৫১-১৫২।

২৫ প্ৰথম এঙ্গলো-বাৰ্মিজ যুদ্ধৰ আগতে এজন ব্ৰহ্মদেশীয় সেনাদক্ষই এই বুৰঞ্জীখন ব্ৰহ্মদেশলৈ নিছিল। নেই ইলিয়াচে ব্যৱহাৰ কৰা কালত বুৰঞ্জীখন ব্ৰহ্মদেশৰ ৰজাৰ হাতত আছিল।

২৬ pp.61-63

গৈছে। এই টোকা মতে চুতীয়া ৰাজ্যখন উদয়গিৰি পৰ্বতৰ পশ্চিমে (অৰ্থাৎ ব্ৰহ্মকুণ্ড আৰু খামতি ৰাজ্যৰ পশ্চিমৰ পৰ্বতমালা), কছাৰী আৰু উলঙ্গ নগাসকল বাসকৰা পৰ্বতমালাৰ উত্তৰে, বিশ্বনাথৰ সমীপৰ হিন্দুৰাজ্য কুশানৰ পূবে আৰু অমুত মিৰিসকলৰ অধ্যুষিত পৰ্বতমালাৰ দক্ষিণত অৱস্থিত আছিল।[২৭] আনকথাত, চুতীয়া ৰাজ্যৰ পূবে আছিল উদয়গিৰি পৰ্বত, পশ্চিমে বিশ্বনাথৰ সমীপৰ হিন্দুৰাজ্য কুশান, উত্তৰে অমুত মিৰি অধুষিত পৰ্বতমালা আৰু দক্ষিণে কছাৰী আৰু নগাসকল বাসকৰা পৰ্বতমালা। এই ৰাজ্যত চুতীয়া, বৰাহী আৰু মৰাণ জনগোষ্ঠীৰ লোকসকলে বাস কৰিছিল। ইয়াৰে চুতীয়াসকল শাসক আৰু বাকী দুটা জনগোষ্ঠী তেওঁলোকৰ অধীনত আছিল। এই প্ৰাচীন ৰাজবংশটোৰ প্ৰথম ৰজা আছিল অসমভিন্ন। সাতজন ভ্ৰাতৃৰে সৈতে অসমভিন্নই শ্ৰীলোহিত বা ব্ৰহ্মপুত্ৰৰ পাৰত ৰাজধানী পাতি শাসন কৰিছিল।[২৮]

সম্ভৱতঃ অসমভিন্ন কামৰূপ ৰাজ্যৰ প্ৰশাসনৰ লগত জড়িত আছিল। তেওঁ কৃষকৰ সমসাময়িক বুলি অনুমান কৰিব পাৰি। কামৰূপৰ বৰ্মনবংশী ৰজা চন্দ্ৰমুখবৰ্মন (আনুঃ ৫৫৫-৫৬৫ খ্ৰীঃ)-ৰ দুৰ্বল শাসনৰ সুযোগ লৈ তেওঁ সদলবলে সেই ৰাজ্য ত্যাগ কৰি সৌমাৰ পীঠৰ পূৰ্ব ভাগত নিজৰাজ্য প্ৰতিষ্ঠা কৰে। নেই ইলিয়াচৰ টোকাত থকা মতে অসমভিন্নৰ ৰাজত্ব কালতে কাশীৰ (বেনাৰসৰ) পৰা অহা এজন জ্ঞানী-গুণী ব্ৰাহ্মণ পণ্ডিতে ৰজাকে ধৰি তেওঁৰ সাতজন ককাই ভাইক হিন্দু ধৰ্মত দীক্ষিত কৰিছিল। ধৰ্মানুৰাগী এই পণ্ডিতগৰাকীৰ গুণত মুগ্ধ হৈ অসমভিন্নই তেওঁৰ জীয়াৰীক ব্ৰাহ্মণ জনলৈ বিয়া দিছিল। অসমভিন্নৰ মৃত্যুত তেওঁৰ ভাতৃসকলে সিংহাসনৰ উত্তৰাধিকাৰৰ প্ৰশ্নৰ কোনো সমাধান কৰিব নোৱাৰি এই ব্ৰাহ্মণগৰাকীকে সিংহাসনত বহুৱাইছিল।[২৯] সম্ভৱতঃ তেওঁৰ ৰাজত্বৰ শেষৰ ফালে আনুমানিক ষষ্ঠ শতিকাৰ শেষৰ ভাগত খুনলুঙে এই ৰাজ্য জয় কৰি পুত্ৰ খুন্‌লাক ইয়াৰ শাসনকৰ্ত্তা নিয়োগ কৰিছিল। ৰাজ্য পুনৰুদ্ধাৰৰ পিছত অসমভিন্নৰ বংশৰ ইন্দ্ৰদেৱ চুতীয়া ৰাজ্যৰ সিংহাসনত বহিছিল। নেই ইলিয়াচৰ টোকাত ইন্দ্ৰদেৱে ত্ৰিশ বছৰ কাল ৰাজত্ব কৰিছিল বুলি উল্লেখ কৰিছে।[৩০] তেওঁৰ পিছত এই ৰাজবংশৰ আন একত্ৰিশ গৰাকী ৰজাই ৰাজ্য শাসন কৰিছিল। শেষৰজন ৰজাৰ নাম আছিল লেক্‌ৰয়।[৩১] মূল বুৰঞ্জীখনত চৌত্ৰিশ গৰাকী ৰজাৰ নাম আছিল যদিও নেই ইলিয়াচে তেওঁৰ টোকাত তেওঁলোকৰ নাম আৰু শাসনৰ কোনো বিৱৰণ দিয়া নাই। তেওঁ মাত্ৰ লিখিছে যে, এই ৰজাসকলৰ হিন্দু নাম আছিল আৰু তেওঁলোকৰ শাসনকালত বিশেষ উল্লেখযোগ্য কোনো ঘটনা ঘটা নাছিল।[৩২] অসমভিন্নৰ পৰা আৰম্ভ কৰি সৰ্বমুঠ চৌত্ৰিশ

২৭ p.61
২৮ ibid.
২৯ ibid.
৩০ ibid.
৩১ ibid.
৩২ ibid.



গৰাকী ৰজাৰ গড়ে ১৭১/২ বছৰ ৰাজত্বকাল ধৰি নেই ইলিয়াচে এই ৰাজপৰিয়ালে ৫৮৯ বছৰ ৰাজত্ব কৰিছিল বুলি অনুমান কৰিছে আৰু তেৰ শতিকাৰ আৰম্ভনিত চাম-লুং-ফাৰ আক্ৰমণৰ তাৰিখৰ ভিত্তিত ইয়াৰ আৰম্ভনি সপ্তম শতিকাৰ মাজভাগ (আঃ ৬৪০ খ্ৰীঃ)-ত হৈছিল বুলি ঠাৱৰ কৰিছে।[৩৩] অৱশ্যে প্ৰতিজন ৰজাক গড়ে ১৭১/২ বছৰ ৰাজত্বকাল দিয়াৰ কোনো যুক্তি তেওঁ আগবঢ়োৱা নাই। প্ৰচলিত নীতিমতে কোনোবা ৰাজবংশৰ ৰাজত্বকাল অজ্ঞাত হ'লে প্ৰতিজন ৰজাক গড়ে ২০ বা ২৫ বছৰ দিয়া হয়। গতিকে এই ৰাজবংশৰ এজন ৰজাক গড়ে ২০ বছৰকৈ ৰাজত্ব কাল দিলে তেওঁলোকৰ ৰাজত্বকাল ৬৮০ বছৰ হ'ব। চাম-লুং-ফাৰ উজনি অসম আক্ৰমণৰ তাৰিখ ১২২০ খ্ৰীঃ। সেই মতে এই ৰাজবংশৰ প্ৰতিষ্ঠাৰ সময় ১২২০ - ৬৮০ = ৫৪০ খ্ৰীঃ অৰ্থাৎ ষষ্ঠ শতিকাৰ মাজভাগতহে হ'ব। সেয়ে হ'লে ষষ্ঠ শতিকাৰ শেষৰফালে খুনলুঙে জয় কৰা দিহিং নদীৰ পাৰৰ মুংকুলা দেশখন প্ৰাচীন চুতীয়া ৰাজ্যখনেই হ'ব।

প্ৰাচীন চুতীয়া ৰাজ্যখনৰ শেষ ৰজা কোছিৰ পিতৃ লেক্‌ৰয় (আনুঃ ১১৯২-১২২০ খ্ৰীঃ) ৰাজপাটত উঠাৰ সময়ছোৱাত (আঃ ১১৮৫-১১৯৫ খ্ৰীঃ) ৰাজ্যখনত কিবা এটা অঘটন ঘটিছিল। কিয়নো সেই সময় ছোৱাত ৰাজবংশৰ দুগৰাকী নেতৃস্থানীয় লোকে ৰাজ্যখনৰ দুটা পৃথক খণ্ডত দুখন স্বাধীন চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। আন কথাত লেক্‌ৰয় ৰাজপাটত আৰোহণ কৰাৰ সময়ত প্ৰাচীন চুতীয়া ৰাজ্যখন তিনিখন স্বতন্ত্ৰৰীয় ৰাজ্যত বিভিক্ত হৈছিল। ইয়াৰে এখন মূল ৰাজ্যখনৰ উত্তৰ-পূবত অৱস্থিত পৰ্বতমালাৰ পাদদেশত বীবৰ, বীৰবৰ বা বীৰপালে প্ৰতিষ্ঠা কৰিছিল। এইখন ৰাজ্যৰ পশ্চিমত বিশ্বনাথৰ পূব অঞ্চলত আনখন ৰাজ্য স্থাপন হৈছিল। ভদ্ৰসেন আছিল পিছৰখন ৰাজ্যৰ প্ৰতিষ্ঠাপক।[৩৪]

লেক্‌ৰয় এজন দুৰ্বল ৰজা আছিল আৰু সেই বাবেই তেওঁ ৰাজ্যৰ বিভাজন প্ৰতিৰোধ কৰিব নোৱাৰিলে। কৰতলীয়া মৰাণ আৰু বৰাহী ৰাজ্য দুখনৰ ওপৰতো তেওঁৰ কৰ্তৃত্ব শিথিল হৈ পৰিছিল। চাম-লুংফাই এই ৰাজ্য আক্ৰমণ কৰাৰ সময় ছোৱাত এই ৰাজ্য দুখনে লোৱা স্থিতিয়ে তেওঁলোকৰ স্বতন্তৰীয়া শাসনৰে ইঙ্গিত দিয়ে।

আনুমানিক ১২২০ খ্ৰীঃত লেক্‌ৰয় ৰজাৰ মৃত্যু ঘটে। তেওঁৰ বুৰোৰা ওৰফে বুৰুক, মৈচুৰা ওৰফে মৈক্ৰণ, কোলিতা আৰু কোছি নামৰ চাৰি গৰাকী পুত্ৰ আছিল। লেক্‌ৰয়ে তেওঁৰ জীৱিত কালত তেওঁলোকৰ কোনোজনকে উত্তৰাধিকাৰী মনোনীত কৰা নাছিল। গতিকে, পিতৃৰ মৃত্যুত প্ৰতিজনেই সিংহাসনৰ দাবীদাৰ হোৱাত তেওঁলোকৰ মাজত তীব্ৰ মতান্তৰ ঘটিছিল। এই মতান্তৰৰ নিষ্পত্তি নৌ হওঁতেই মোগং (Mogaung)

৩৩ ibid.
৩৪ সম্ভৱতঃ বীৰবৰ আৰু ভদ্ৰসেন সিংহাসনৰ দাবীদাৰ আছিল। ফলবৰ্তী নোহোৱাত অনুগামীসহ ৰাজধানী ত্যাগ কৰি নিজ নিজ ৰাজ্য স্থাপন কৰিছিল।

ৰাজ্যৰ চৰবাজ (Sawbwas) বা শাসনকৰ্তা চাম-লুং-ফা (Sam-Lung-Pha, ১২১৫-১২২৮ খ্ৰীঃ) ই মাও-শান ৰাজ্যৰ ৰজা চাও-কাম-ফা (So-Kam-Pa/ Chau-Kam-Pha)-ৰ আদেশত মং-ৱেচালি-লং (Mong-Wehsali-Long) বা উজনি অসম জয় কৰিবলৈ আহে।[৩৫] তেওঁ মণিপুৰ ৰাজ্য জয় কৰাৰ পিছত চুতীয়া ৰাজ্য আক্ৰমণ কৰে।[৩৬] চুতীয়া ভাতৃসকলে এই আক্ৰমণ প্ৰতিৰোধ কৰিব নোৱৰিলে। বুৰোৱাই যুদ্ধত প্ৰাণ হেৰুৱালে। মৈছুৱাই তেওঁৰ অনুগামী সৈন্য সামন্ত লৈ বিশ্বনাথৰ সমীপৰ মাইং-বিং (Maing-Bing) অঞ্চললৈ পলাই যায় আৰু সেই ঠাইতে এখন ৰাজ্য স্থাপন কৰে। কোলিতাইও এই পথকে অনুসৰণ কৰি তেওঁৰ সমৰ্থকসকলক লৈ "শ্ৰীলুইতৰ কাষৰ পৰ্বতমালা পাৰ হৈ পশ্চিমলৈ যায়" আৰু সেই ঠাইতে এখন ৰাজ্য পাতে।[৩৭] চতুৰ্থ পুত্ৰ কোছি যুদ্ধত হাৰি চাম-লুং-ফাৰ হাতত বন্দী হয়। নিৰুপায় হৈ কোছি ৰজাই মাও-শানসকলৰ প্ৰভূত্ব স্বীকাৰ কৰি ল'বলৈ মান্তি হোৱাত চাম-লুং-ফাই চুতীয়া ৰাজ্যত এজন টেমন (Tamon) বা শাসনকৰ্ত্তা নিযুক্ত কৰি তেওঁৰ অধীনতে কোছিক কৰতলীয়া ৰজা পাতি স্বদেশলৈ উভটি যায়।[৩৮]

এখন মাও-শান বুৰঞ্জী[৩৯] মতে চাম-লুং-ফাৰ অধীনত অহা মাও-শান সৈন্য বাহিনী ৱেচেলী-লং (উজনি অসম) ৰাজ্যৰ সীমাত উপস্থিত হোৱাৰ খবৰ পাই চুতীয়া ৰাজ্যৰ বিষয়াবৰ্গই বিনাযুদ্ধে চাম-লুং- ফাৰ বশ্যতা স্বীকাৰ কৰি লয়। তদুপৰি প্ৰতি তিনি বছৰে বাৰ্ষিক কৰ হিচাপে পঁচিশটা ঘোৰা, সাতটা হাতী, চৌবিশ ভিচ (viss)[৪০] সোণ আৰু দুশ ভিচ ৰূপ দিবলৈ মান্তি হোৱাত চাম-লুং-ফাই এই দেশ এৰি যায়। তেওঁৰ এই অভিযানৰ সময় ১২২০ খ্ৰীঃ। চাম-লুং-ফাৰ মণিপুৰৰ পৰা সদিয়া আৰু খামতি লং বিজয় অভিযানৰ বিৱৰণ মণিপুৰৰ বুৰঞ্জীতো পোৱা যায়।[৪১]

চাম-লুং-ফাই এই ৰাজ্য এৰি যোৱাৰ পাঁচ মাহৰ পিছতে কোছি ৰজাই মাও-শান শাসনকৰ্ত্তা গৰাকীক বিহ খুৱাই হত্যা কৰি স্বাধীনভাৱে শাসন কৰিবলৈ লয়। মাও-শান ৰজাই এই খবৰ পাই ছয়মাহৰ পিছত দ্বিতীয় বাৰৰ কাৰণে চাও-কা-ফা (Chao-Kaa-Pha)-ৰ অধীনত কোছি ৰজাৰ বিৰুদ্ধে এটা শক্তিশালী সৈন্য বাহিনী পঠায়। মাও-শানসকলৰ এই আক্ৰমণত কোছি ৰজা তিষ্ঠিব নোৱাৰি দলে বলে কছাৰী ৰাজ্যলৈ পলাই

৩৫ P. Gogoi, *op. cit.*, p.158f.
৩৬ Ney Elias, *op. cit.*, p. 18; P. Gogoi, *op. cit.*, p. 158
৩৭ *ibid.*, p. 62; *ibid.*, p. 159.
৩৮ *ibid.*
৩৯ P. Gogoi, *op. cit.*, p.160-ত বুৰঞ্জীখনৰ নাম **চেন-উই-বুৰঞ্জী**, (**Hscn-Wi-Chronicle**) বুলি উল্লেখ কৰিছে। বুৰঞ্জীখন Gazetteer of Upper Burma and the Shan States-ত প্ৰথম অনুদিত হৈ ১৯০৯ খ্ৰীঃত ৰেঙ্গুনত প্ৰকাশ পাইছিল।
৪০ এক ভিচ (Viss) প্ৰায় ৭ পাউণ্ড, ৩ কিলো গ্ৰামতকৈ কিছু বেছি। দ্ৰষ্টব্য - P. Gogoi, *op. cit.*, p. 160, fn.242.
৪১ P. Gogoi, *op. cit.*, p. 161.



গ'ল।"[৪২] ফলত চুতীয়া ৰাজ্য মাও-শান সাম্ৰাজ্যৰ অধীনলৈ যায়।[৪৩]

কিন্তু আগৰ বাৰৰ দৰে এইবাৰ চুতীয়া ৰাজ্যত মাও-শান শাসন চলা নাছিল। চাও-কা-ফাই এই ৰাজ্য জয় কৰি চাম-লুং-ফাৰ আৰ্হিৰে ইয়াত কোনো শাসনকৰ্ত্তা নিয়োগ কৰাৰ অথবা কোছি ৰজাৰ লগত কিবা সন্ধি কৰাৰ কোনো প্ৰমাণ পোৱা নাযায়। ইয়াৰ পৰিবৰ্ত্তে বিজয়ী মাও-শান সেনাপতি গৰাকী খৰখেদাকৈ এই ৰাজ্য এৰি স্বদেশমুখী হৈছিল। আনহাতে এই সুযোগ গ্ৰহণ কৰি ভগনীয়া কোছি ৰজাও ঘূৰি অহা নাছিল। ইয়াৰ অন্তৰালত ক্ৰিয়াশীল হৈ থকা কাৰণটো হ'ল সেই সময়ছোৱাত বীৰপাল প্ৰতিষ্ঠিত চুতীয়া ৰাজ্যত চুতীয়াসকলৰ সবাতোকৈ প্ৰতাপী ৰজা ৰত্নধ্বপালে (আনুঃ ১২১০-১২৫০ খ্ৰীঃ) ৰাজত্ব কৰি আছিল। আনুমানিক ১২১৮ খ্ৰীঃত তেওঁ ৰাজ্য বিস্তাৰৰ অভিযান আৰম্ভ কৰি ভদ্ৰসেনৰ ৰাজ্য আক্ৰমণ কৰে। সম্ভৱতঃ চাম-লুং-ফাই কোছিৰ ৰাজ্য আক্ৰমণ কৰা সময়তে ৰত্নধ্বজপালৰ হাতত ভদ্ৰসেন পৰাজিত হৈছিল। ৰত্নধ্বজপালে ভদ্ৰসেনৰ ৰাজ্যখন নিজ ৰাজ্যত চামিল কৰাত তেওঁৰ ৰাজ্য কোছি শাসিত ৰাজ্যখনৰ প্ৰতিবেশী হৈ পৰিছিল।

চাও-কা-ফাই কোছিৰ ৰাজ্য আক্ৰমণ কৰাত (প্ৰতিবেশী ৰজা হিচাবে) ৰত্নধ্বজ পালে নিজ ৰাজ্যৰ সুৰক্ষাৰ হেতু সম্ভৱতঃ সশস্ত্ৰে সীমান্তৱৰ্ত্তী অঞ্চললৈ আগবাঢ়ি গৈছিল আৰু এই সম্ভেদ পাই বিজয়ী হৈও বিজিত ৰাজ্যখন অৰাজক অৱস্থাতে এৰি চাও-কা-ফাই ততালিকে নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰিছিল। ৰত্নধ্বজপালে এই সুযোগ গ্ৰহণ কৰি কোছিৰ ৰাজ্যখন বিনাযুদ্ধে নিজ ৰাজ্যৰ ভিতৰুৱা কৰি লয়। এই কাৰণতে ভগনীয়া কোছি ৰজা নিজ ৰাজ্যলৈ ঘূৰি নাহিল। এই সিদ্ধান্তটো কোনো বুৰঞ্জীত লিপিবদ্ধ নাই। প্ৰাচীন যুগত ইতিহাস লিখা প্ৰথা চুতীয়াসকলৰহে নালাগে অসম কিয় কাশ্মীৰৰ বাহিৰে ভাৰতৰ কোনো ৰাজ্যতে নাছিল। আহোম ৰাজত্বৰ বুৰঞ্জীয়ে প্ৰাচীন কালছোৱাৰ চুতীয়াসকলৰ বুৰঞ্জী সামৰি লোৱাৰ প্ৰশ্ন নুঠে। মাও-শানসকলৰ বুৰঞ্জীসমূহত চাও-কা-ফাৰ অভিযানৰ ফলত মং-ৱেচেলি-লং (উজনি অসম) মাও-শান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱা বুলি লিপিবদ্ধ কৰাৰ বাহিৰে আন কোনো বিৱৰণ নাই। প্ৰকৃতপক্ষে প্ৰাচীন চুতীয়া ৰাজ্যখনৰ এটা সীমান্তীয় ভূখণ্ডহে মাও-শানসকলে জয় কৰিব পাৰিছিল। গতিকে মাও-শান অভিযানকাৰীসকলে মং-বেচেলি-লং জয় কৰা বুলি বুৰঞ্জীত লিপিবদ্ধ থাকিলেও যথাৰ্থতে তেওঁলোকে এই অঞ্চলৰ এটা ক্ষুদ্ৰ অংশহে সাময়িক ভাবে পদানত কৰিব পাৰিছিল।

চাম্-লুং-ফাই ৰত্নধ্বজপাল শাসিত প্ৰতাপী চুতীয়া ৰাজ্যখন আক্ৰমণ কৰা নাছিল। চাও-কা-ফাইও কোছি ৰজাক পৰাজিত কৰিয়েই উজনি অসম ত্যাগ কৰিছিল। গতিকে

৪২ Ney Elias, *op. cit.*, p. 61.
৪৩ P. Gogogi, *op. cit.*, pp. 160f.

## চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতিৰ সভাপতিৰ দুআষাৰ

এখন দেশ বা এটা জাতিৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে বিশদভাৱে জানিবলৈ বুৰঞ্জী হৈছে প্ৰধান আহিলা, কাৰণ সভ্যতাৰ ক্ৰমবিকাশৰ অধ্যয়নেই হ'ল বুৰঞ্জীৰ বিষয়বস্তু। কিন্তু অন্যান্য বহু জনগোষ্ঠীৰ দৰে অসমৰ এচাম আদিবাসী চুতীয়াসকলৰ মাজতো বুৰঞ্জী লিখাৰ কোনো পৰম্পৰা নাছিল আৰু সেই কাৰণেই তেওঁলোকৰ গৌৰৱময় অতীত তথা সভ্যতা সংস্কৃতিৰ বিশদ বিৱৰণ পাবলৈ নাই। আজিলৈকে যিবিলাক অসম বুৰঞ্জী প্ৰণয়ন কৰা হৈছে তাত একোটা সৰু অধ্যায়ৰ ভিতৰতে চুতীয়াসকলৰ ইতিহাস সামৰি থোৱা হৈছে, যিবোৰৰ পৰা এই জনগোষ্ঠীটোৰ বুৰঞ্জী সম্পৰ্কে এটা সম্যক জ্ঞান লাভ কৰিব নোৱাৰি। সেইবাবে চুতীয়া জাতিৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জীৰ আৱশ্যকতা আজি বহু বছৰৰ আগৰে পৰাই অনুভৱ কৰি অহা হৈছে। এই অভাৱ পূৰণ কৰাৰ মানসেৰে ২০০২ চনৰ ৬ অক্টোবৰত যোৰহাট জিলা পুথিভঁৰালত এখন আলোচনা চক্ৰৰ আয়োজন কৰা হৈছিল আৰু তালৈ অসম সাহিত্য সভাৰ তদানীন্তন সভাপতি, বিশিষ্ট সাংবাদিক তথা সাহিত্যিক, পৰম শ্ৰদ্ধেয় শ্ৰী হোমেন বৰগোহাঞিদেৱক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল। সেই আলোচনা চক্ৰতে শ্ৰীযুত বৰগোহাঞিদেৱৰ উদ্যোগত চুতীয়া জাতিৰ পূৰ্ণাঙ্গ বুৰঞ্জী এখন প্ৰণয়নৰ বাবে এক সিদ্ধান্ত লৈ এখন প্ৰণয়ন সমিতি গঠন কৰা হৈছিল। কিন্তু এই সংক্ৰান্তত প্ৰণয়ন সমিতিখনে কাৰ্যকৰী বলিষ্ঠ পদক্ষেপ ল'ব নোৱাৰাৰ ফলত স্থবিৰতাই দেখা দিলে।

ইয়াৰ ডেৰ বছৰমান পিছত ২০০৪ চনৰ জুলাই মাহত অনুষ্ঠিত সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ কাৰ্যনিৰ্বাহকত বুৰঞ্জী প্ৰণয়নৰ বিষয়টোৱে অগ্ৰাধিকাৰ লাভ কৰে। ইয়াৰ ফলশ্ৰুতিত ২০০৪ চনৰ ১৬ আগষ্টত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসনৰ প্ৰেক্ষাগৃহত চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সম্পৰ্কত এখন বিশেষ সভা অনুষ্ঠিত কৰা হয়। সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কুলেন্দু পাঠকদেৱ আৰু শ্ৰী হোমেন বৰগোহাঞিদেৱ উপস্থিত থাকি দিহা-পৰামৰ্শ আগবঢ়ায়। এই সভাতে তেখেতসকল দুয়োজনক উপদেষ্টা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসনৰ তদানীন্তন অধ্যাপিকা ড° স্বৰ্ণলতা বৰুৱাক অধ্যক্ষ আৰু মুখ্য সম্পাদক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ড° ডম্বৰুধৰ নাথদেৱক সম্পাদক হিচাপে লৈ চুতীয়া জাতিৰ বুৰঞ্জী সমিতি এখন গঠন কৰা হয়। কিছুদিন পিছতে সদৌ চুতীয়া জাতি সন্মিলনে যোৰহাটত গঠন কৰা আগৰ প্ৰণয়ন সমিতিখন ভঙ্গ কৰি মৰাণ ৰাইদঙীয়া কাৰ্যনিৰ্বাহকত আমাক সভাপতি আৰু শ্ৰী হৰেণ চুতীয়াদেৱক সম্পাদক হিচাপে লৈ চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতি এখন নতুনকৈ গঠন কৰে।

এই গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰাত প্ৰথমে শংকিত হৈছিলো, কাৰণ সেই দায়িত্ব যদি পালন কৰিব নোৱাৰো তেনেহ'লে সকলোৰে গৰিহণাৰ পাত্ৰ হ'ব লাগিব। কিন্তু পিচ মুহূৰ্ততে আমাৰ মনলৈ সাহস আহিল। যোৱা ১০ বছৰ ধৰি সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ কোষাধ্যক্ষ আৰু সাত বছৰ ধৰি ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি হিচাপে নিষ্ঠাৰে দায়িত্ব পালন কৰা হেতুকে আমাৰ ওপৰত বিশ্বাস ৰাখি সদৌ চুতীয়া ৰাইজে নিশ্চয় এই গুৰুভাৰ অৰ্পণ কৰিছে আৰু সেয়ে এই দায়িত্ব গ্ৰহণ কৰিবই লাগিব। গতিকে ৰাইজৰ আশাক ফলৱতী কৰাৰ মানসেৰে আমাৰ সেৱা আগবঢ়াবলৈ মই প্ৰতিজ্ঞাবদ্ধ হ'লো আৰু সাধ্য অনুসাৰে আৰ্থিক সাহায্যকে ধৰি সকলো প্ৰকাৰৰ সহায় সহযোগ আগবঢ়াই কামত মনোনিৱেশ কৰিলো।

উল্লেখযোগ্য যে এই বুৰঞ্জীখনেই প্ৰণালীবদ্ধভাৱে ৰচনা কৰা চুতীয়া জাতিৰ প্ৰথম পূৰ্ণাঙ্গ বুৰঞ্জী। গতিকে ই আমাৰ অতি আদৰৰ আৰু মূল্যৱান সম্পদ। এইখন গ্ৰন্থৰ যোগেদি চুতীয়া জনগোষ্ঠীৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় তথা সাংস্কৃতিক জীৱনৰ এটি আভাস পাবলৈ ৰাইজৰ সুবিধা হ'ব।

শাৰীৰিক অসুস্থতা স্বত্বেও মুখ্য সম্পাদক মাননীয়া ড° স্বৰ্ণলতা বৰুৱা বাইদেউৰ আশাসুধীয়া অবিৰত পৰিশ্ৰম, অশেষ ব্যস্ততাৰ মাজতো ড° ডম্বৰুধৰ নাথদেৱৰ সহযোগিতা আৰু মাননীয় হোমেন বৰগোহাঞিদেৱ আৰু মাননীয় ড° কুলেন্দু পাঠকদেৱৰ গঠনমূলক পৰামৰ্শৰ লগতে শ্ৰদ্ধেয় শ্ৰী কৃষ্ণপ্ৰসাদ বৰুৱা দেৱৰ দীৰ্ঘদিনীয়া শ্ৰম আৰু আশাসুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিতে বুৰঞ্জীখন ৰচনাৰ কাম সম্পূৰ্ণ হৈ উঠিল। বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত অনেক সময়ত বিভিন্ন অসুবিধাই দেখা দিছিল যদিও সম্পাদনা সমিতিৰ বলিষ্ঠ পদক্ষেপৰ দ্বাৰা এই সকলোবোৰ অতিক্ৰম কৰি নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিলে।

অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱে এই বুৰঞ্জী প্ৰণয়নৰ বাবে আগবঢ়োৱা আৰ্থিক সাহায্যৰ বাবে আমি তেখেতৰ ওচৰত অশেষ কৃতজ্ঞ। অসম ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদৰ অধ্যক্ষ মাননীয় শ্ৰী দেৱেশ্বৰ বৰাদেৱে আমালৈ আৰ্থিক সাহাৰ্য আগবঢ়াইছে। তেখেতক আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সদৌ চুতীয়া জাতি সন্মিলন অসমৰ সভাপতি শ্ৰীযুত শৰৎ শইকীয়াদেৱলৈও আমাৰ ধন্যবাদ থাকিল। বুৰঞ্জী প্ৰণয়নৰ অৰ্থে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ভৱনৰ এটা কোঠা সম্পাদনা সমিতিৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ সুযোগ দিয়াত আমি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কুলেন্দু পাঠকদেৱলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সম্পদনা সমিতিৰ প্ৰতিগৰাকী সদস্য তথা নিৱন্ধকাৰসকল, যিসকলৰ চেষ্টা আৰু শ্ৰমৰ ফলত বুৰঞ্জী প্ৰণয়নৰ কাম সম্পূৰ্ণ হৈ উঠিল তেখেতসকল আমাৰ শলাগৰ পাত্ৰ। যিসকল ব্যক্তিয়ে আৰ্থিক সাহায্য আগবঢ়াই বুৰঞ্জী প্ৰণয়নৰ কামত সহযোগিতা

এইটো অনুমেয় যে মাও-শানসকলে ৰত্নধ্বজপালৰ বলবীৰ্যৰ কথা জানিছিল আৰু সেইবাবেই তেওঁৰ ৰাজ্য আক্ৰমণৰপৰা বিৰত আছিল। ওপৰৰ আলোচনাৰপৰা এই সিদ্ধান্তকে গ্ৰহণ কৰিব পাৰি যে বিজয়ী সেনাপতি চাও-কা-ফাই তেওঁ জয় কৰা ৰাজ্যখন অৰাজক অৱস্থাত এৰি যোৱাৰ মূল কাৰণ আছিল, ৰত্নধ্বজপালৰ শৌৰ্য-বীৰ্য আৰু পৰাক্ৰম।

কোছি ৰজাৰ পৰাজয়ৰ লগে লগে প্ৰাচীন চুতীয়া ৰাজ্যখনৰ পতন ঘটে। পৰাজয়ৰ গ্লানি লৈ কাছাৰলৈ পলাই যোৱাৰ পিছত তেওঁৰ বিষয়ে আৰু কোনো সম্ভেদ পোৱা নাযায়। ইয়াৰ পিছত এই ৰাজ্যখন চুতীয়াৰ বীৰপাল ৰাজবংশৰ অধীনলৈ আহে। ১২২৮ খ্ৰীঃত মুং-দুং-চুন-খাম (Mung-dung-shun-kham)-ৰ মাটিত ভৰি দিওঁতে চুকাফাই ৰত্নধ্বজপালৰ এই চুতীয়া ৰাজ্যখনকে দেখিবলৈ পাইছিল।

**শাসন ব্যৱস্থা ঃ**

প্ৰাচীন যুগৰ চুতীয়া ৰাজ্যখনৰ প্ৰশাসন ব্যৱস্থাৰ সম্পৰ্কে কোনো লিখিত বিৱৰণ পোৱা নেযায়। অনুমান হয় কামৰূপ আৰু সমসাময়িক উত্তৰ ভাৰতৰ ৰাজ্যসমূহত প্ৰচলিত শাসন ব্যৱস্থাই এই ৰাজ্যতো প্ৰচলন আছিল। সম্ভৱতঃ অসমভিন্ন কামৰূপ ৰাজ্যৰ প্ৰশাসনৰ লগত কিবা প্ৰকাৰে জড়িত আছিল আৰু সেই সময়ছোৱাতে বেনাৰসৰ ব্ৰাহ্মণ পণ্ডিত গৰাকীৰ সান্নিধ্যলৈও আহিছিল। প্ৰাচীন কালত সদিয়া (কুণ্ডিল) এখন বাণিজ্যিক নগৰ আছিল। এই নগৰৰ মাজেদিয়েই ব্ৰহ্মদেশ চীন, তিব্বত আনকি সুদূৰ আফগানিস্থানৰ মাজত বাণিজ্যিক আদান-প্ৰদান চলিছিল।[৪৪] মেক ক'চ (Mc Cosh)-এ সদিয়াৰ পৰা তিব্বেত আৰু চীনলৈ যোৱা পাঁচোটা পথৰ কথা উল্লেখ কৰিছে।[৪৫] ড° মোহিনী কুমাৰ শইকীয়াই এটা প্ৰবন্ধত লিখিছে - 'সদিয়াৰ পূৰ্বাঞ্চল আৰু ইউনান অঞ্চলৰ বাসিন্দাৰ মাজত 'যুগান্তৰ জুৰি গভীৰ লেনা-দেনা - বিশেষকৈ বাণিজ্যিক লেনা-দেনা নিশ্চয় গভীৰ হৈ চলি আহিছিল।" পশ্চিম ভাৰতৰ সিন্ধু উপত্যকাৰ পৰা গঙ্গা নদীৰ উপত্যকাৰ উত্তৰে হিমালয়ৰ পাদদেশেদি যেৱা প্ৰশস্ত বাণিজ্য পথটো সদিয়াৰ মাজেদি ইউনানৰ ৰিমা অঞ্চল পোৱাটো ঐতিহাসিক সত্য। এচিয়া মহাদেশৰ ইতিহাসত এই পথটোক পশ্চিম এচিয়াৰ পৰা দক্ষিণ-পূব এচিয়ালৈ যোৱা একমাত্ৰ সুচল পথ বুলি বৰ্ণনা কৰা হৈছে। অসমত এই পথটোকে প্ৰাচীন 'ৰাজগড় আলি' বুলিছিল আৰু ইয়াৰ ভগ্নাৱশেষ এতিয়াও অৰুণাচল আৰু সদিয়াৰ কোনো কোনো ঠাইত পোৱা যায়। বুৰঞ্জীৰ মতে এই পথেদি চীনৰপৰা ভাৰতলৈ আৰু গ্ৰীক দেশৰ পৰা চীনলৈ ৰাজকীয় লোকৰ দলে অহা

---

৪৪ B.K. Barua, **A Cultural History of Assam**, Vol.I, Nowgong, 1951, pp. 100f.

৪৫ Mc. Cosh, **Topography of Assam**, Reprint, New Delhi, 2000, pp. 8-12.



যোৱা কৰিছিল।[৪৬] গতিকে এই নগৰৰ নাগৰিকসকলৰ সমসাময়িক উত্তৰ ভাৰতৰ ৰাজনৈতিক আৰু আৰ্থ সামাজিক অৱস্থা, লগতে ভৌগোলিক পৰিবেশৰ ওপৰত সবিশেষ জ্ঞান আছিল। এই সচেতন উদ্যোগী প্ৰজাসকল ওচৰ-চুবুৰীয়া ৰাজ্যবিলাকৰ আৰ্হিৰ শাসন ব্যৱস্থাৰে সমৰ্থক আছিল বুলি ভবাৰ থল আছে। অৱশ্যে এই শাসন ব্যৱস্থাত কেতবোৰ ব্যতিক্ৰম থকাটো পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে পিতাৰ পিছত জ্যেষ্ঠ পুত্ৰ ৰজা হোৱাৰ নীতি অৰ্থাৎ জ্যেষ্ঠানুক্ৰম উত্তৰাধিকাৰ নীতি (Law of Primogeniture) এই ৰাজ্যত প্ৰচলিত নাছিল। এই ব্যৱস্থা নথকাৰ ফলত অন্ততঃ দুবাৰ ৰাজসিংহাসনৰ দাবীদাৰসকলৰ মাজত সংঘটিত হোৱা কন্দলৰ বিৱৰণ বুৰঞ্জীত আছে। সম্ভৱতঃ নিজ বাহুবল, ৰাজনৈতিক দক্ষতা, সামাজিক গৰিমাৰ উপৰিও ৰাজবংশ আৰু বিষয়াসকলৰ সমৰ্থনৰ ওপৰত ৰাজসিংহাসনৰ দাবীদাৰ গৰাকীৰ সফলতা নিৰ্ভৰ কৰিছিল। এই ৰাজ্যৰ প্ৰশাসনত আদিৰে পৰা হিন্দু প্ৰভাব পৰিছিল। বেনাৰসৰ ব্ৰাহ্মণ পণ্ডিতগৰাকী হিন্দুশাস্ত্ৰৰ বিদগ্ধ পণ্ডিত হোৱাৰ উপৰিও সুচতুৰ ৰাজনীতিজ্ঞ পুৰুষ আছিল।

প্ৰাচীন চুতীয়া ৰাজ্যখনৰ আৰু ৰাজধানীৰ নাম নেই ইলিয়াচৰ টোকাত উল্লেখ নাই। মাও-শানসকলৰ বুৰঞ্জীত উল্লেখিত মুং-কুলা (Mung-Kula) এই ৰাজ্যখনৰ নাম হ'ব নোৱাৰে। তেওঁলোকে উজনি অসমক মুং ৱেচেলি লং (Mung Wehsali Long) বুলি তেওঁলোকৰ বুৰঞ্জীসমূহত লিপিবদ্ধ কৰিছে। গতিকে এই নামে প্ৰাচীন চুতীয়া ৰাজ্যখনক বুজোৱা নাই।

সম্ভৱতঃ এই ৰাজ্যখনৰ নাম বিদৰ্ভ আছিল আৰু ইয়াৰ ৰাজধানী আছিল কুণ্ডিল অথবা কুণ্ডিন নগৰ। কোনো কোনো ক্ষেত্ৰত কুণ্ডিল নামেৰে ৰাজ্যখনকো বুজোৱা হৈছিল। সম্ভৱতঃ মহাভাৰতৰ যুগৰ কোনোবা ৰাজবংশৰ লগত যোগসূত্ৰ স্থাপন কৰিবলৈকে ব্ৰাহ্মণসকলে প্ৰাচীন কোনো এগৰাকী চুতীয়া ৰজাক ভীষ্মক অথবা ভীৰ্মক সজাই, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, শিশুপাল দুৰ্গ আদি নিৰ্মাণ কৰাই ৰাজ্যৰ নাম বিদৰ্ভ ৰাখিছিল। এই অঞ্চলত অৱস্থিত ইটাত খোদিত থকা ম'ৰা চৰাইৰ চিত্ৰই এই নগৰসমূহ প্ৰাচীন চুতীয়া ৰাজ্যৰ ৰজাসকলৰ ৰাজত্ব কালতে নিৰ্মাণ হোৱাটো প্ৰতিপন্ন কৰে; যিহেতু ম'ৰা চৰাই প্ৰাচীন চুতীয়া ৰাজ্যৰ ৰাজ প্ৰতীক (Royal Emblem) আছিল বুলি জনা যায়।[৪৭] মহাপুৰুষ শঙ্কৰদেৱে **ৰুক্মিণী হৰণ** কাব্য লিখি এই ৰাজ্যখনক বিদৰ্ভ বুলি খ্যাত কৰাত অধিক অৰিহণা যোগায়। ফলত মহাভাৰত খ্যাত ভীষ্মক ৰাজ্যখন এই সদিয়া অঞ্চলতে ভীষ্মক নগৰক কেন্দ্ৰ কৰি প্ৰতিষ্ঠিত হৈছিল বুলি আজিও বহুতো লোকে বিশ্বাস কৰে। চুতীয়া লোকে আজিও নিজকে ভীষ্মকৰ বংশধৰ বুলি গৌৰৱ কৰে।

---

৪৬ মোহিনী কুমাৰ শইকীয়া, "অসমৰ কুণ্ডিল-শদিয়া আৰু দেউৰী-চুতীয়া", **কুণ্ডিল**,৪ৰ্থ সংখ্যা,২০০০,পৃঃ ৩৯।

৪৭ সৰ্বেশ্বৰ বৰুৱা, 'চতুৰ্দশ শতিকাৰ চুটিয়া ৰাজত্ব', **মনিদীপ**, সম্পাদিত মহেন্দ্ৰ বৰা, পঞ্চম বছৰ, তৃতীয় সংখ্যা, জানুৱাৰী, ১৯৬৫, পৃঃ ২১২।

## মধ্যযুগৰ চুতীয়া ৰাজ্য ঃ স্বধয়া বা সদিয়া
## (আনুঃ ১১৮৯-১৫২৪ খ্ৰীষ্টাব্দ)

প্ৰাচীন ঐতিহাসিক চুতীয়া ৰাজ্য (আনুঃ ৫৫০-১২২০ খ্ৰীঃ) বিদৰ্ভত লেক্‌ৰয় (আনুঃ ১১৯৫-১২২০ খ্ৰীঃ) ৰাজপাটত বহাৰ পূৰ্ববৰ্ত্তী কালচোৱাত সম্ভৱতঃ উত্তৰাধিকাৰৰ প্ৰশ্নলৈ ৰাজ্যখনত এক অস্থিৰ পৰিবেশৰ সৃষ্টি হৈছিল। ইয়াৰ ফলত ৰাজবংশৰ[১] দুগৰাকী লোক বিতুষ্ট হৈ সদলবলে ৰাজধানী এৰি ৰাজ্যৰ ভিন ভিন অংশত দুখন সুকীয়া স্বাধীন চুতীয়া ৰাজ্য স্থাপন কৰাৰ কথা ইতিমধ্যে আলোচনা কৰা হৈছে। কালক্ৰমত বীৰপালৰ পুত্ৰ ৰত্নধ্বজ পালে ভদ্ৰসেনৰ ৰাজ্যখনৰ লগতে সংকুচিত প্ৰাচীন চুতীয়া ৰাজ্যখন নিজ ৰাজ্যত চামিল কৰি প্ৰায় সম্পূৰ্ণ উজনি অসম নিজৰ অধীনলৈ আনে। মধ্য যুগৰ এই চুতীয়া ৰাজ্যখন স্বধয়া, সধয়া অথবা সদিয়া নামে জনাজাত আছিল। এই ৰাজ্যৰ ৰাজধানীখনৰ নামটোও দেশখনৰ নামানুসাৰে স্বধয়াপুৰ, সধয়াপুৰ, সদিয়া অথবা সিন্ধুক্ষেত্ৰ আছিল।[২] সদিয়া বা কুণ্ডিল নগৰক কেন্দ্ৰ কৰি শ্ৰীলোহিত নদীৰ দুয়োপাৰ সামৰি চুতীয়াসকলৰ ৰাজ্য আছিল। কিন্তু ড° বাণীকান্ত কাকতিয়ে **গুৰুচৰিত** আৰু ইংৰাজ পণ্ডিতৰ মতে শ্ৰীলোহিত নৈৰ পাৰত কলিতা ৰাজ্য আছিল বুলি কৈছে।[৩] এই উক্তিৰ সমৰ্থনত কাকতিদেৱে **কথা গুৰুচৰিত**[৪] আৰু **এচিয়াটিক চচাইটিৰ জাৰ্নেলত** প্ৰকাশ হোৱা কেপ্তেইন নিউভিলৰ এটা প্ৰবন্ধৰ[৫] পৰা উদ্ধৃতি দিছে। ভবানীপুৰীয়া গোপাল আতাৰ বংশাৱলীত সন্নিবিষ্ট পুৰণি সাঁচিপতীয়া **কথাগুৰু চৰিত** পুথিখনৰ পৰা দিয়া উদ্ধৃতিটো হ'ল - গৃহকন্দলত "... আএ উপায় নাপাই, পলাই দেশ এৰি অটব্য অৰণ্য চৰা পৰ্ব্বত পাৰ হৈ তিনি মুনি ফাটে, আবৰ, মিৰি চাৰি মাটি মিৰিএদি অচম দেশ ওলালহি পোন্ধৰ দিনে, শক্তিমন্ত মহাপুৰুষ শক্তিগুণে অনাহাৰে"। ইংৰাজ পণ্ডিতগৰাকীৰ প্ৰবন্ধটোৰ পৰা অনুদিত উদ্ধৃতিটো হ'ল - ".... বৰ্তমান সদিয়াৰ উত্তৰে আৰু ভুটীয়া (তিব্বতী)সকলৰ পূব ফালে কোলিতা বা কুলতা বুলি এটা অতি পৰাক্ৰমী জাতি আছিল। সভ্যতা আৰু সমুন্নতিত তেওঁলোকে এচিয়াৰ যিকোনো জাতিৰ সমকক্ষ আছিল। কলিতাসকলৰ ক্ষমতা, ৰাজ্য আৰু ৰাজশ্ৰী অসম (আহোম) ৰজাৰ অতি উন্নত যুগৰ শ্ৰীবৃদ্ধিতকৈও বেছি আছিল। আগৰ দিনত দুয়ো ৰাজ্যৰ ভিতৰত অহা-যোৱাৰ যোগাযোগ আছিল। এতিয়া সি বন্ধ হৈছে।" মূল ইংৰাজী প্ৰবন্ধটোত কথাখিনি এনেদৰে আছে - "The country to the eastward of Bhot (Bhutan) and the northward of Sadiya,

১ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ৯৩; P. Gogoi, *op. cit.*, p. 267.
২ মহেশ্বৰ নেওগ, **প্ৰাস্য শাসনাৱলী**, পৃঃ ৮২-৮৫।
৩ **কলিতা জাতিৰ ইতিবৃত্ত**, পৃঃ ৮।
৪ ঐ, পৃঃ ৪-৫।
৫ ঐ।



extending on the plain beyond the mountains, is said to be possessed by a powerful nation called Kolitas or Kultas, who are described as having attained a high degree of advancement and civilization, equal to any of the nations of the east. The power, dominion and resources of the Kulta Raja are stated to exceed by far, those of Asam, under its most flourishing circumstances, and in former times a communication appears to have been kept up between the states now long discontinued."[৬]

ভবানীপুৰীয়া গোপাল আতাৰ জন্ম ১৪৩৬ শক/ ১৫১৪ খ্ৰীঃত।[৭] স্বৰ্গদেৱ চুহুংমুং (১৪৯৭-১৫৩৯ খ্ৰীঃ)-ৰ ৰাজত্ব কালত নাজিৰাহাটত উপস্থিত হোৱা গোপাল আতাৰ মাতৃ সগৰ্ভা ব্ৰজাঙ্গী আই যিখন দেশৰ পৰা অটব্য অৰণ্য চৰা (ভৰা) পৰ্বত পাৰহৈ তিনিমুনি ফাটে (গিৰিপথে) আবৰ, মিৰি (পৰ্বত) চাৰি (পাৰহৈ) মাটি মিৰিএদি (ভৈয়ামৰ মিৰিসকল অধ্যুষিত অঞ্চলৰ মাজেৰে) অচম দেশ ওলাইছিলহি, সেইখন দেশ শ্ৰীলোহিতৰ পাৰত বুলি কৰা অনুমানটো ত্ৰুটিপূৰ্ণ। কেপ্তেইন নিউভিলৰ প্ৰবন্ধৰ পৰা উদ্ধৃত অনুবাদটোৰ একাংশও ভ্ৰান্তিমূলক। নিউভিলে লিখিছে - ভূটানৰ পূবে আৰু সদিয়াৰ উত্তৰে পৰ্বতবিলাকৰ সিপাৰৰ সমভূমিভাগত কলিতা ৰাজ্যখন থকা বুলি কয়। '...extending on the plains beyond the mountains' -এইবাক্যাংশৰ অনুবাদ 'পৰ্বতৰ সিপাৰৰ সমভূমি ভাগ' এৰি দিয়াত চুতীয়া ৰাজ্যতে কলিতা ৰাজ্যৰ অৱস্থান বুলি পাঠকে জানিব অথবা চুতীয়া ৰাজ্যখনকে কলিতা ৰাজ্য বুলি ধৰি লব। আনহাতে নিউভিলৰ সহযাত্ৰী (companion) কেপ্তেইন উইলকক্স (Captain Wilcox)-এ স্থানীয় সমলৰ ওপৰত নিৰ্ভৰ কৰি যুগুত কৰা ভ্ৰমণ কাহিনীত দৰঙৰ পৰা টাৱাঙৰ মাজেৰে কলিতা ৰাজ্যলৈ যোল্ল দিনৰ বাট বুলি কৈছে। (Captain Wilcox who was a companion of Neufville, publishes an itinerary from native sources of a route leading from Durrung through Tawang to the Kalita Country, which gives a distance of 16 marches, ....")।[৮]

১২২৮ খ্ৰীঃত আহোমসকলে অসমত পদাৰ্পণ কৰা কালত উজনি অসমত যি কেইটা জনগোষ্ঠীয়ে শাসন কৰি আছিল তেওঁলোকৰ প্ৰত্যেকৰে নাম আৰু ৰাজ্যৰ সীমা বুৰঞ্জীত লিপিবদ্ধ আছে।[৯] এই তালিকাত কলিতা ৰাজ্যৰ উল্লেখ নাই। তদুপৰি মধ্য যুগৰ প্ৰথিতযশা অসম বুৰঞ্জী প্ৰণেতাসকলে[১০] কলিতা দেশৰ কথা তেওঁলোকৰ ৰচিত

৬ Captain Neufville, **Asiatick Research**, vol. XVI, 1828, p. 345, quoted in Ney Elias, *op. cit.*, p. 62.
৭ লক্ষ্মীনাথ বেজবৰুৱা, **শঙ্কৰদেৱ আৰু মাধৱদেৱ**, পৃঃ ২৩৫।
৮ **Selections, Bengal Governmant**, No. XXIII, 1855, p. 127 and **Asiatick Research**, vol. XVII, p. 454, quoted in Ney Elias *op. cit.*, p. 63.
৯ **Lik-Phan-Tai, I**, 1966, p. 90; P. Gogoi, *op. cit.*, p. 266.
১০ E. Gait, N.N. Acharyya, P. Gogoi, L. Devi etc.

গ্ৰন্থত উল্লেখ কৰা নাই। এই কালচোৱাত উজনি অসমত কলিতা জাতিৰ বসতি আছিল কিন্তু তেওঁলোকৰ এখন ৰাজ্য থকাৰ ঐতিহাসিক প্ৰমাণ এতিয়ালৈকে পোৱা নাই।

**দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা' মতে মধ্যযুগৰ সদিয়া কেন্দ্ৰিক চুতীয়া ৰাজ্যখন প্ৰতিষ্ঠাৰ সময় ১১১১ শক অৰ্থাৎ ১১৮৯ খ্ৰীঃ। এই তাৰিখটো প্ৰায় সকলো পণ্ডিতে মানি লৈছে। ইয়াৰ এটা যুক্তিও আছে। এতিয়ালৈকে উদ্ধাৰ হোৱা চুতীয়া ৰজাসকলৰ প্ৰথমখন ভূমিদানৰ তামৰ ফলিৰ তাৰিখ ১৩১৪ শক, অৰ্থাৎ ১৩৯২ খ্ৰীঃ। এই ভূমিদানৰ ফলিখন চুতীয়াসকলৰ দশম ৰজা সত্যনাৰায়ণে কাশ্যপ-গোত্ৰীয় নাৰায়ণ দ্বিজৰ পুত্ৰক দান কৰিছিল।[১১] কোনো বুৰঞ্জীত ৰজাসকলৰ ৰাজত্বকালৰ উল্লেখ নাথাকিলে অথবা নিৰ্ভৰযোগ্য নহ'লে কোনো সঠিক তাৰিখৰ পৰা প্ৰতি শতিকাত চাৰিজন বা পাঁচজন ৰজাই শাসন কৰিছিল বুলি ধৰি সেইমতে গণনা কৰি প্ৰতিজন ৰজাৰ আনুমানিক ৰাজত্বকাল উলিওৱা হয়। এই সূত্ৰটোকে চুতীয়া ৰাজবংশৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে ইয়াৰ প্ৰতিষ্ঠাৰ সময় ১১৮৯ চনটোৰ লগত প্ৰায় মিলি পৰে।[১২]

## চুতীয়া ৰাজ্য প্ৰতিষ্ঠাৰ লগত জড়িত আখ্যানৰ ঐতিহাসিক বিচাৰ ঃ

প্ৰাচীন চুতীয়া ৰাজ্য প্ৰতিষ্ঠাৰ লগত কিবা আখ্যান জড়িত থকাৰ কথা জনা নাযায়। মধ্যযুগৰ সদিয়াকেন্দ্ৰীক চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাৰ সম্পৰ্কতহে দুটা আখ্যান আছে। প্ৰথমটো আখ্যানৰ মতে এই ৰাজ্যৰ আদি ৰজা বীৰপাল/বীৰবৰৰ পত্নীৰ নাম আছিল ৰূপৱতী। তেওঁলোকৰ সতি-সন্ততি নথকাত ৰূপৱতীয়ে পুত্ৰ লাভৰ কামনাৰে কুবেৰ দেৱতাক উপাসনা কৰিছিল। তেওঁৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ এদিন ৰূপৱতী মাকৰ ঘৰৰপৰা আহোঁতে কুবেৰে বীৰবৰৰ বেশ ধৰি তেওঁৰ আগত দেখা দিলে আৰু তেওঁলোকৰ মিলন হ'ল। সেই ৰাতিয়ে কুবেৰে বীৰবৰক সপোনত ক'লে - "মোৰ বীৰ্য্যে ৰূপৱতীৰ গৰ্ভত শুভক্ষণে পুত্ৰ উপজিব। সেয়ে ৰাজ্যত ৰজা হব। তোৰ সমস্তো সম্পত্তি হব। ৰূপৱতীকো তই নশপিবি, সষ্টমে ৰাখিবি, তয়ো সষ্টমে ৰবি। নতুন ঘৰ কৰি ৰূপৱতীক থবি। যি গছৰ তলত ফাগুনৰ কৃষ্ণ চতুৰ্দ্দশীত দেওকৈ মোক উপাসা কৰ, কাইলৈ প্ৰাতহ কালে সেই গছৰ তললৈ যাবি, যি বস্তু পাৱ তাকে সেৱা কৰি থাকিবি। যি কালত অনাদৰ, পৰহস্ত হই, সেই কালত তোৰ পুত্ৰৰ ছত্ৰভঙ্গ হব, ৰাজ্যকো পৰে লব, দেশান্তৰী হব। গছৰ তলত পোৱা দ্ৰব্যেৰে মোৰ পুত্ৰে অনেকক যুধ কৰি মাৰি ৰজা হব।" সপোনত কুৱেৰ দেৱতাই

[১১] **প্ৰাচ্য শাসনাৱলী**, পৃঃ ৮৪।

[১২] সত্যনাৰায়ণৰ পূৰ্বৰ ন গৰাকী ৰজাৰ গড়ে ৰাজত্বকাল ২০ বছৰকৈ ধৰিলে মুঠ ৰাজত্বকাল ১৮০ বছৰ আৰু গড়ে ২৫ বছৰকৈ ধৰিলে মুঠ ৰাজত্ব কাল ২২৫ বছৰ হয়। এই দুই ৰাজত্ব কালৰ গড় উলিয়ালে (১৮০+২২৫=)৪০৫÷২=২০২$^{১}/_{২}$ বছৰ এই ন গৰাকী ৰজাৰ ৰাজত্ব কাল হয়। সত্যনাৰায়ণৰ ভূমি দানৰ ফলিৰ তাৰিখ ১৩৯২ খ্ৰীঃৰ পৰা ২০২$^{১}/_{২}$ বছৰ বাদ দিলে (১৩৯২-২০২$^{১}/_{২}$) ১১৮৯$^{১}/_{২}$ খ্ৰীঃত চুতীয়া ৰাজ্য স্থাপন হোৱাটো সূচায়।



দিয়া নিৰ্দেশ অনুসৰি পিছদিনা পুৱা গছজোপাৰ তললৈ গৈ বীৰবৰে তাত এখন ঢাল, এখন তৰোৱাল আৰু এটা সোণৰ মেকুৰী পালে। এয়ে চুতীয়াসকলৰ কুবেৰদত্ত সম্পত্তি। যথাসময়ত ৰূপৱতীৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। সন্তানটিৰ নাম থ'লে গৌৰীনাৰায়ণ।[১৩] ৰায়বাহাদুৰ গোলাপচন্দ্ৰ বৰুৱাৰ হাতত থকা আহোম আখৰেৰে অসমীয়া ভাষাত লিখা চুতীয়া বুৰঞ্জীখনত সম্পত্তিৰ তালিকাত বৰ্চা বা যাঠি এপাতো ধৰা হৈছে। এইখন বুৰঞ্জী মতে গৌৰীনাৰায়ণৰ পিতৃ প্ৰদত্ত নাম আছিল গিৰিবৰ।[১৪] পৰ্বতৰ সকলো চুতীয়াক বশ কৰি তেওঁ চন্দ্ৰগিৰিপাল আৰু ভদ্ৰসেন ৰজাক পৰাস্ত কৰি ৰত্নধ্বজপাল নাম লৈছিল আৰু এখন নগৰ কৰি ৰত্নধ্বজপুৰ নাম দিছিল। গৌৰীনাৰায়ণে তেওঁৰ ঈশ্বৰপ্ৰদত্ত বুদ্ধি আৰু পৰাক্ৰমেৰে অতি কম বয়সতে দাঁতি-কাষৰীয়া ৰাঙ্গলগিৰি, কালগিৰি, নীলগিৰি, ধৱলগিৰি, চন্দ্ৰগিৰি আদি পৰ্বতত থকা চুতীয়াসকলক বশ কৰি ৰত্নধ্বজপাল নাম লয়।[১৫]

আন এক কিংবদন্তি মতে মহাকালিকা বা দেৱীয়ে কিৰাতনীৰ ৰূপ ধৰি এদিন ম'হৰখীয়া চুতীয়া ল'ৰা এটাৰ আগত দেখা দি কলে, 'মোক তোৰ শুকুলা ম'হটো দে। মই তোক এক শক্তি দিম। তাৰ প্ৰভাৱে ৰজা হ'বি।' সি দিব নোৱাৰোঁ বুলি কোৱাত দেৱীয়ে পুনৰবাৰ কলে, 'যদি সঁচাকৈয়ে দিব নোৱাৰ তেনেহ'লে অন্তত মনেৰেই বাঞ্চা কৰ'। ম'হৰখীয়াই 'কৰিলো' বুলি কোৱাত দেৱীয়ে ক'লে "কালিলৈ প্ৰভাতে তোৰ ঘৰলৈ যি পোহাৰী আহে, যি মাছ দিয়ে, সেই মাছ চৰুত ভৰি ঢাকন দি থবি, পৰশুলৈ চাবি; সেহি শক্তিয়েৰে ৰাজ খাবি। ... সেহি মোৰ শক্তি পালে দণ্ড-খাট পাবি; সেহি শক্তিয়েৰে ৰাজা হবি। অন্যক নিদিবি, গুপ্তে বলি-বিধান দি পূজা কৰি থাকিবি। যি কালত লোকক দিবি সেই বেলা মই তোৰ লগ এৰিম।" সেই মতে কাম কৰাত পিছদিনা চৰুত দুটা সোণৰ মেকুৰী আৰু দণ্ডখাট পালে। সেইবিলাকৰ সহায়ত ম'হৰখীয়া ৰজা হ'ল। ৰজা হৈ তেওঁ খুন্ত ৰজা নাম ল'লে।[১৬]

এই দুয়োটা আখ্যানহে। হ'লেও চুতীয়া ৰাজবংশৰ উৎপত্তিত এই আখ্যানবিলাকে কিছু আলোকপাত কৰে। প্ৰথমটো আখ্যানৰ মতে চুতীয়াসকলৰ উপাস্য দেৱতা কুবেৰ। পৌৰাণিক আখ্যানমতে কুবেৰ আছিল বিশ্বশ্ৰৱা আৰু নিকষাৰ পুত্ৰ ৰাৱণৰ ককায়েক। শৰীৰ কুৎসিৎ দেখি তেওঁৰ নাম হ'ল কুবেৰ (কু, বিশ্ৰী + ৱেৰ, শৰীৰ)। তেওঁৰ তিনিটা ঠেং আৰু আঠটা মাথোন দাঁত। **হেমকোষ অভিধান**ত তেওঁক উত্তৰ দিশৰ আৰু ধনৰ

[১৩] 'চুটিয়াৰ কথা', **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৩-১৯৪।

[১৪] গোপীনাথ বৰদলৈ, **চুতীয়া বুৰঞ্জী**, নগাঁও (প্ৰকাশৰ চন অলিখিত), পৃঃ ১২-১৩; **সভাপতিৰ অভিভাষণ**, সদৌ অসম চুতীয়া সন্মিলন, দ্বিতীয় অধিবেশন, পীড়াকটা, যোৰহাট, ১৯২৯ চন; হিতেশ্বৰ বৰবৰুৱাৰ **আহোমৰ দিন** গ্ৰন্থত কুবেৰ প্ৰদত্ত সম্পত্তিৰ ভিতৰত সোণৰ মেকুৰী, সোণৰ খাট, আৰু সোণৰ তিনিচুকীয়া সিংহাসনও আছিল বুলি লিখিছে।

[১৫] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৩-১৯৪; লীলা গগৈ, 'চুতীয়া ৰজাৰ বুৰঞ্জী', **স্মৃতিগ্ৰন্থ**, সদৌ অসম চুতীয়া সন্মিলন, চুতীয়া কাড়ী গাঁও, উত্তৰ লক্ষীমপুৰ, পৃঃ ৫-৬।

[১৬] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২০১; সৰ্বানন্দ ৰাজকুমাৰ, **চুতীয়া, ভূঞা আৰু মটক ৰাজ্য**, পৃঃ ৭।

অধিপতি দেৱতা বুলি কোৱা হৈছে।[১৭] কুবেৰৰ বাহন মানুহ,[১৮] তেওঁ যক্ষবিলাকৰ ৰজা, শিৱৰ ভড়ালী আৰু সখা।[১৯] শিৱ আছিল গুৰিতে অনাৰ্যসকলৰ দেৱতা। সেইবাবে শিৱক কিৰাট বুলিও কোৱা হয়।[২০]

কুবেৰ আছিল ধনৰ দেৱতা। কৃপণালিৰ বাবেই তেওঁ জনাজাত। অসমীয়াত এটা ফকৰা-যোজনা আছে - 'ধন কুবেৰৰ ধন, নিজেও নাখায়, আনকো নিদিয়ে, চাই থাকিবৰ মন'। **কালিকা পুৰাণ** আৰু **যোগিনীতন্ত্ৰ**ত কুবেৰৰ কথা আছে। সেইমতে আদিত্য (অৰুণ) আৰু শঙ্কৰ (শিৱ) য'ত আছে সেই মহাক্ষেত্ৰতে কুবেৰৰ অৱস্থান। আনহাতে কুবেৰ থকা দিশতে বাসুদেৱ বিৰাজমান বুলি **যোগিনীতন্ত্ৰ**ত কোৱা হৈছে। অৰ্থাৎ, উত্তৰ-পূব দিশৰ লৌহিত্যৰ আগাৰিত য'ত চুতীয়া ৰাজ্য আছিল তাতেই কুবেৰৰ অৱস্থান।[২১]

বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে চুতীয়াসকলৰ টোটেম বা গোত্ৰ প্ৰতীক সোণৰ মেকুৰী আৰু কুবেৰৰ মাজত আন এটা সঙ্গতি দেখা পাইছে। তেওঁ কৈছে যে 'কুবেৰৰ চকু তামবৰণীয়া বা সোণবৰণীয়া (পিঙ্গল বৰণৰ) বুলি **পুৰাণ**ত বৰ্ণনা কৰা হৈছে। এই বৈশিষ্টখিনি কুবেৰ প্ৰদত্ত চুতীয়াসকলৰ ৰাজলক্ষ্মীৰ এপদ সোণৰ মেকুৰীত প্ৰতিবিম্বিত হোৱা দেখা যায়। মেকুৰীৰ চকুও পিঙ্গল বৰণৰ।[২২]

ধনৰ গৰাকী কুবেৰ চুতীয়াসকলৰ উপাস্য দেৱতা হৈ পৰিছিল, কাৰণ, বিভিন্ন সম্পদৰ কাৰণে চুতীয়া ৰাজ্য চহকী আছিল। এই ৰাজ্যৰ সোৱণশিৰি, দিক্ৰং, দিহং, দিবং, দিহিং আদি নৈৰ বালিত প্ৰচুৰ পৰিমাণৰ সোণ পোৱা গৈছিল। চুতীয়াসকলৰ বসতিস্থানত কেইবাটাও লোণৰ পুং আছিল। আগতে অসমত লোণ বৰ দুষ্প্ৰাপ্য আছিল। কথিত আছে যে লোণৰ দাম সোণৰ দামৰ সমান আছিল। **ডাকৰ বচন**তো আছে 'কাঁহীৰ দাঁতিত পৰিবে লোণ। জানিবা সিঘৰেৰ হৰিবে সোণ'। সাধাৰণ মানুহে সেইকাৰণে লোণৰ পৰিবৰ্তে কলাখাৰ ব্যৱহাৰ কৰিছিল। এনে অৱস্থাত সদিয়া, জয়পুৰ, বৰহাট আদি ঠাইত থকা লোণৰ পুঙে চুতীয়া ৰাজ্যখনক অতি সমৃদ্ধিশালী কৰিছিল।[২৩] চুতীয়াসকলৰ ৰাজধানী

[১৭] পৃঃ ২১৯।

[১৮] স্থাপত্য শিল্পত অৱশ্যে হাতীকো কেতিয়াবা তেওঁৰ বাহন হিচাবে খোদিত কৰা হয়।

[১৯] কোযেশ্বৰ বৰুৱা, **লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা**, গুৱাহাটী, ২০০০, পৃঃ ২৬।

[২০] বিশ্বানাৰায়ণ শাস্ত্ৰী, 'চুতীয়া জাতি আৰু শক্তিৰ উপাসনা', **স্মৃতিগ্ৰন্থ**, চুতীয়া ৰাণী বীৰাঙ্গনা সতী সাধনীৰ স্মৃতি চাৰণ, গুৱাহাটী, ১৯৯০, পৃঃ ৯।

[২১] কোযেশ্বৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৪-২৫।

[২২] শাস্ত্ৰী, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ৯।

[২৩] **Travels in India** by J.B. Travernier states : "salt ... appears to be obtained from springs in the province, which the Assamese, however, never able to bring efficiently into play . . . The springs most generally known are those of Borhat and Sadiya . . . the salt obtained from the springs was said to be much more pure and high priced than that imported from Bengal . . ." উদ্ধৃতি, হিতেশ্বৰ বৰবৰুৱা, **আহোমৰ দিন**, গুৱাহাটী, ১৯৮১, পৃঃ ৪৭২।



সদিয়া উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ লেখত লবলগীয়া বাণিজ্য কেন্দ্ৰ আছিল। কাৰণ, ইয়াৰ মাজেদিয়েই ব্ৰহ্মদেশ, চীন, আনকি সুদূৰ আফগানিস্থানৰ লগত অসম তথা ভাৰতৰ বাণিজ্যিক লেনদেন হৈছিল।[২৪] চুতীয়া ৰাজ্যৰ ভৈয়াম অঞ্চলো সাৰুৱা আছিল আৰু ইয়াত তেওঁলোকে ধান আৰু বিভিন্ন শস্যৰ খেতি কৰিছিল। এইবিলাক কথাই চুতীয়া ৰাজ্যখন সমৃদ্ধিশালী হোৱাত অতি সহায় কৰিছিল। আগতেই কোৱা হৈছে যে **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা' নামৰ বুৰঞ্জীখন এটা সংস্কৃত শ্লোকেৰে আৰম্ভ হৈছে - 'শদিয়াকোৰ্জকো-দেশঃ চুটিকা-বংশ-ভীৰ্ম্মোকঃ। ধাতুদ্ৰব্যে তু লেভে ন হত্বা জনপদানয়ঃ।।' শ্লোকটোৰ দ্বিতীয় শাৰীৰ অৰ্থ হ'ল- জনপদ বা ৰাজ্য মাৰি নহয়, ধাতু দ্ৰব্যৰ বলতহে চুতীয়া ৰাজ্য প্ৰতিষ্ঠা হৈছিল। এই সম্পদ ৰক্ষা কৰিবৰ বাবেই ধনৰ অধিপতি কুবেৰৰ লগত চুতীয়া ৰাজবংশৰ উৎপত্তি সংযোগ কৰা হৈছিল।

দ্বিতীয়টো আখ্যানত কুবেৰৰ পৰিবৰ্তে চুতীয়া ৰাজবংশৰ ভাগ্য বিধাতা হ'ল মহাকালিকা দেৱী। চুতীয়াসকল আদিতে শক্তিৰ উপাসক আছিল। গতিকে তেওঁলোকৰ ধৰ্মবিশ্বাসৰ লগত মিল ৰাখিয়েই আৰ্য্যদেৱতা কুবেৰৰ ঠাইত দেৱীক উপস্থাপন কৰা হৈছে। অৱশ্যে এইটো আখ্যানতো পৰোক্ষভাৱে আৰ্য্যদেৱতা কুবেৰ জড়িত হৈ আছে। এই আখ্যান মতে চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা ব্যক্তিজন ম'হ পালক আছিল। গৰু-ম'হৰ গোহালিৰ মূলতে যখ নামৰ এজন অপদেৱতা আছে বুলি চুতীয়াসকলে বিশ্বাস কৰিছিল। যখ দেৱতাই লম্ভিলে গৰু-ম'হৰ মাজত কোনো ব্যাধিয়ে হেনো মহামাৰীৰ ৰূপ ধৰে। ইয়াৰ নিৰাময়ৰ কাৰণে কুবেৰ দেৱতাক পূজা কৰিব লাগে। এতিয়াও কোনো কোনো চুতীয়া গাঁৱত গৰু-ম'হৰ ব্যাধি হ'লে কুবেৰ দেৱতাক পূজা কৰাৰ নিয়ম চলি আছে।

এই দুয়োটা আখ্যানেই নিশ্চয় বীৰবৰৰ পুত্ৰ গৌৰীনাৰায়ণে ৰত্নধ্বজপাল নাম লৈ সুপ্ৰতিষ্ঠিত হোৱাৰ পিছত তেওঁৰ ওপৰত দেৱত্ব আৰোপ কৰিবলৈ ব্ৰাহ্মণসকলে সৃষ্টি কৰিছিল। ৰাজবংশক এনেদৰে দৈৱশক্তিৰ লগত সংযোগ কৰি প্ৰজাৰপৰা পৃথক কৰি দেখুৱাব পাৰিলে ৰজাৰ প্ৰতি প্ৰজাৰ আনুগত্য লাভ কৰাত নিশ্চিত হয়। অন্যহাতে, পুৰোহিত শ্ৰেণীটোৰো লাভ হৈছিল, কাৰণ, ভূমিদানৰ উপৰি তেওঁলোকে বিভিন্ন ৰাজ অনুগ্ৰহ আৰু লগতে প্ৰজা সাধাৰণৰপৰা ভক্তি আৰু দান-দক্ষিণা আদায় কৰিব পাৰিছিল। তেওঁলোকে প্ৰকাৰান্তৰে প্ৰজাসাধাৰণক বুজাইছিল যে যেনেকৈ বলি-বিধান আৰু পূজা-পাতলেৰে বিভিন্ন দেৱ-দেৱীক সন্তুষ্ট কৰি ৰাখিব পাৰিলে মঙ্গল হয়, তেনেকৈয়ে দৈৱশক্তিৰ অধিকাৰী ৰজাকো বিভিন্ন কৰ-কাটল পৰিশোধ কৰি আৰু তেওঁৰ প্ৰতি আনুগত্যশীল হৈ থাকি সেৱা আগবঢ়াব পাৰিলে তেওঁলোকৰ কোনো বিপদ নহয়।

[২৪] Mc. Cosh, 'Accounts on the Mountain Tribe in the Extreme NE Frontier of Bengal' **JASB V**, pp. 230 f; cf. B.K. Barua, **A Cultural History of Assam**, vol. I, Gauhati, 1951, p. 100 (fn. 185).

**দেওধাই অসম বুৰঞ্জী**ত পূৰ্বে উল্লেখিত 'চুটিয়াৰ কথা'ত গৌৰীনাৰায়ণৰপৰা আৰম্ভ কৰি নীতিপাললৈকে মুঠ ১০ জন ৰজাৰ নাম দিয়া হৈছে। এইখন বুৰঞ্জীত দিয়া বংশাৱলী তলত দিয়া হৈছে। এই বংশাৱলী ব্ৰাউনৰ **দেউৰী-চুতীয়া গ্ৰামাৰ**ত সংযোজিত বংশাৱলীৰ সৈতে একে।[২৫] উল্লেখনীয় যে, মূল বুৰঞ্জীখনত ভীৰ্মোক ৰজাৰ বংশৰ বীৰপালে ১১১১ শকত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ ইঙ্গিত দিছে যদিও তেওঁৰ নাম প্ৰতিষ্ঠাপক ৰজা হিচাবে বংশাৱলীখনত দিয়া হোৱা নাই।

**দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট চুতীয়া ৰাজবংশাৱলী ঃ**

| ক্ৰঃ নং | চুটিয়া ৰজাসকল | ৰাজত্ব | ভোগ | মৃত্যু |
|---|---|---|---|---|
| ১। | পূৰ্বৰ ৰজা গৌৰীনাৰায়ণ, তাৰ নাম ৰত্নধ্বজপাল | শক ১১৪৬ খ্ৰীঃ ১২২৪ | ৮০ বছৰ | শক ১২২৬ খ্ৰীঃ ১৩০৪ |
| ২। | পুত্ৰ শিৱনাৰায়ণ, তাহাকে বিজয়ধ্বজপাল বোলে | শক ১২২৬ খ্ৰীঃ ১৩০৪ | ৬১ বছৰ | শক ১২৮৭ খ্ৰীঃ ১৩৬৫ |
| ৩। | পুত্ৰ জগত নাৰায়ণ, তাহাকে বিক্ৰমধ্বজপাল বোলে | শক ১২৮৭ খ্ৰীঃ ১৩৬৫ | ৩৪ বছৰ | শক ১৩২১ খ্ৰীঃ ১৩৯৯ |
| ৪। | পুত্ৰ প্ৰমত্তনাৰায়ণ, তাহাকে গৰুড়ধ্বজপাল বোলে | শক ১৩২১ খ্ৰীঃ ১৩৯৯ | ৪৫ বছৰ | শক ১৩৬৬ খ্ৰীঃ ১৪৪৪ |
| ৫। | পুত্ৰ হৰিনাৰায়ণ, তাহাকে শঙ্খধ্বজপাল বোলে | শক ১৩৬৬ খ্ৰীঃ ১৪৪৪ | ৪৪ বছৰ | শক ১৪১০ খ্ৰীঃ ১৪৮৮ |
| ৬। | পুত্ৰ গোলাকনাৰায়ণ, তাহাকে মউৰধ্বজপাল বোলে | শক ১৪১০ খ্ৰীঃ ১৪৮৮ | ৪১ বছৰ | শক ১৪৫১ খ্ৰীঃ ১৫২৯ |
| ৭। | পুত্ৰ ব্ৰজনাৰায়ণ, তাহাকে জয়ধ্বজপাল বোলে | শক ১৪৫১ খ্ৰীঃ ১৫২৯ | ৪৮ বছৰ | শক ১৪৯৯ খ্ৰীঃ ১৫৭৭ |
| ৮। | পুত্ৰ সত্যনাৰায়ণ, তাহাকে কৰ্মধ্বজপাল বোলে | শক ১৪৯৯ খ্ৰীঃ ১৫৭৭ | ৫৪ বছৰ | শক ১৫৫৩ খ্ৰীঃ ১৬৩১ |
| ৯। | পুত্ৰ ধীৰনাৰায়ণ, তাহাকে ধৰ্মধ্বজপাল বোলে | শক ১৫৫৩ খ্ৰীঃ ১৬৩১ | ৪৩ বছৰ | শক ১৫৯৫ খ্ৰীঃ ১৬৭৩ |
| ১০। | মানস পুত্ৰ অৰ্থাৎ নিত্যপাল বোলে, ও সাধক নাৰায়ণ, | শক ১৫৯৫ খ্ৰীঃ ১৬৭৩ | ২ বছৰ | শক ১৫৯৮ খ্ৰীঃ ১৬৭৫ |

[২৫] সংযোজিত বংশাৱলীখন কেন্দলাৰে চুতীয়া ৰাজবংশৰ এগৰাকী বংশধৰ অমৃত নাৰায়ণৰ পৰা সংগ্ৰহ কৰিছিল।



(বিঃ দ্ৰঃ এই তালিকাত খ্ৰীষ্টাব্দৰ গণনাটো সংযোগ কৰি দিয়া হৈছে।)

এই বংশাৱলী গ্ৰহণযোগ্য নহয়। ইতিমধ্যে চুতীয়া ৰজাসকলৰ প্ৰদত্ত সাতখনকৈ ফলি উদ্ধাৰ হৈছে। সেই ফলিবোৰত এই বংশাৱলীত অন্তৰ্ভুক্ত নোহোৱা ছয়জন ৰজাৰ নাম আছে। ভূমিদানৰ ফলিকেইখনত দিয়া চন-তাৰিখৰ লগত মিলাই এই ছয়জন ৰজাৰ নাম অন্তৰ্ভুক্ত কৰি পৰীক্ষামূলক ভাবে উপৰোক্ত ৰাজবংশালীখন সংশোধন কৰি নিম্নোক্ত বংশাৱলীখন প্ৰস্তুত কৰা হৈছে। অৱশ্যে এই খনেই চূড়ান্ত বংশাৱলী বুলি দাবী কৰিব নোৱাৰি। ভৱিষ্যতে নতুন ফলিৰ আৱিস্কাৰে ইয়াৰ সালসলনি ঘটাব পাৰে।

**সংশোধিত চুতীয়া ৰাজবংশাৱলী ঃ**

| ক্ৰঃ নং | চুটিয়া ৰজাসকল | ৰাজত্ব | ভোগ |
|---|---|---|---|
| ১। | বিবৰ/ বীৰবৰ/ বীৰপাল/ গায়পাল | ১১৮৯-১২১০ খ্ৰীঃ | ২১ বছৰ |
| ২। | গৌৰীনাৰায়ণ/ ৰত্নধ্বজপাল/ সোণাগিৰিপাল | ১২১০-১২৫০ খ্ৰীঃ | ৪০ বছৰ |
| ৩। | শিৱনাৰায়ণ/ বিজয়ধ্বজপাল | ১২৫০-১২৭০ খ্ৰীঃ | ২০ বছৰ |
| ৪। | জগত নাৰায়ণ/ বিক্ৰমধ্বজপাল | ১২৭০-১২৮৫ খ্ৰীঃ | ১৫ বছৰ |
| ৫। | প্ৰমত্ত নাৰায়ণ/ প্ৰমথনাৰায়ণ/ গৌৰধ্বজপাল | ১২৮৫-১৩০৫ খ্ৰীঃ | ২০ বছৰ |
| ৬। | হৰিনাৰায়ণ/ শঙ্খধ্বজপাল | ১৩০৫-১৩২৫ খ্ৰীঃ | ২০ বছৰ |
| ৭। | গোলোক নাৰায়ণ/ ময়ুৰধ্বজপাল | ১৩২৫-১৩৪৩ খ্ৰীঃ | ১৮ বছৰ |
| ৮। | ব্ৰজনাৰায়ণ/ জয়ধ্বজপাল | ১৩৪৩-১৩৬০ খ্ৰীঃ | ১৭ বছৰ |
| ৯। | নন্দিনৃপ/ নন্দিশ্বৰ | ১৩৬০-১৩৮০ খ্ৰীঃ | ২০ বছৰ |
| ১০। | সত্যনাৰায়ণ/ কৰ্মধ্বজপাল/ ৰত্নৰাৰায়ণ | ১৩৮০-১৪০০ খ্ৰীঃ | ২০ বছৰ |
| ১১। | লক্ষ্মীনাৰায়ণ | ১৪০০-১৪২০ খ্ৰীঃ | ২০ বছৰ |
| ১২। | ধৰ্মনাৰায়ণ | ১৪২০-১৪৪৫ খ্ৰীঃ | ২৫ বছৰ |
| ১৩। | প্ৰত্যক্ষ নাৰায়ণ | ১৪৪৫-১৪৬৫ খ্ৰীঃ | ২০ বছৰ |
| ১৪। | যশ (যম) নাৰায়ণ/ যনকাদ (যক্ষ্মাদ) নাৰায়ণ | ১৪৬৫-১৪৮০ খ্ৰীঃ | ১৫ বছৰ |
| ১৫। | পুৰন্দৰ নাৰায়ণ/ পুৰন্দৰধ্বজ পাল | ১৪৮০-১৫০০ খ্ৰীঃ | ২০ বছৰ |
| ১৬। | ধীৰনাৰায়ণ/ ধৰ্মধ্বজপাল | ১৫০০-১৫২২ খ্ৰীঃ | ২২ বছৰ |
| ১৭। | নীতিপাল/ চন্দ্ৰনাৰায়ণ | ১৫২২-১৫২৪ খ্ৰীঃৰ এপ্ৰিল | ২ বছৰ |

**দ্ৰষ্টব্য** ঃ ৰায়চাহাব গোলাপচন্দ্ৰ বৰুৱা অনুদিত আৰু সম্পাদিত **আহোম বুৰঞ্জী**খনৰ মতে (পৃঃ ৫৫) লাকনি মুংচেউ (Lakni Mungsheu) অৰ্থাৎ ১৫২৩ খ্ৰীঃ, আঘোন মাহত চাওফা চুহুংয়ে যাত্ৰা (আৰম্ভ) কৰি চেঁচা মুখত (at the mouth of Sessa river) ৰয়। আহোম-চুতীয়াৰ যুদ্ধখন কমেও ছমাহমান চলিছিল। চুতীয়া জনশ্ৰুতিৰ মতে সাত ব'হাগৰ দিনাহে যুদ্ধৰ সামৰণি পৰিছিল। ১৫/১৬ পুহতে খ্ৰীষ্টিয় নতুন বছৰ আৰম্ভ হয়। সেই অনুসৰি যুদ্ধৰ পৰিসমাপ্তি ১৫২৪ খ্ৰীঃ ব'হাগ মাহত হৈছিল বুলি সিদ্ধান্ত কৰিব পাৰি।

### বীৰবৰ/ বীৰপাল / গায়পাল (আনুঃ ১১৮৯-১২১০ খ্ৰীঃ) ঃ

বীৰপাল চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাতা আছিল। বীৰপালৰ পূৰ্বৰ নাম আছিল বীৰবৰ বা বিবৰ। তেওঁ ভীৰ্ম্মোক (ভীষ্মক) ৰাজবংশৰ ৰাজকোঁৱৰ আছিল।[২৬] কথিত আছে যে তেওঁ সোণাগিৰি পাহাৰত থকা ৬০ ঘৰ চুতীয়া নিজৰ বশলৈ আনি এখন সৰু ৰাজ্য স্থাপন কৰিছিল। ৬০ ঘৰ চুতীয়া অৰশ্যে এটা অনুমানহে। ৰাজমোহন নাথে ৬০ ঘৰ চুতীয়াৰ সলনি ৬০ খন গাঁৱৰ কথা কৈছে আৰু বীৰপালক প্ৰাচীন চুতীয়া ৰাজ্যৰ এজন সেনাপতি বুলি অনুমান কৰিছে।[২৭] এই ৬০ খন গাঁৱৰপৰা তেওঁ এটা সৈন্যবাহিনী গঠন কৰিছিল। তেওঁ নিজকে ভীষ্মকৰ বংশধৰ বুলি পৰিচয় দিছিল আৰু নিজৰ বুদ্ধি আৰু দক্ষতাৰে ৰাজ্যখন সু-সংগঠিত কৰিছিল। তেওঁৰ পত্নীৰ নাম আছিল ৰূপৱতী। কুবেৰৰ আশীৰ্বাদত তেওঁলোকে এটি পুত্ৰ সন্তান আৰু কুবেৰ প্ৰদত্ত সম্পত্তি লাভ কৰিছিল। সেই বিষয়ে চুতীয়াসকলৰ মাজত প্ৰচলিত উপাখ্যান আৰু তাৰ ঐতিহাসিক বিচাৰ ইতিমধ্যে কৰা হৈছে। ৰাজমোহন নাথে আৰু জনাইছে যে তেৰেঁই ১১৯৪ খ্ৰীঃত সোণাগিৰি পাহাৰত কুবেৰৰ মন্দিৰ সজাইছিল আৰু কুবেৰ হৈ পৰিছিল ৰাষ্ট্ৰৰ দেৱতা।[২৮] ৰজা হোৱাৰ পিছত তেওঁ গায়পাল নাম লৈছিল।

**সমসাময়িক কামৰূপৰ ৰাজনৈতিক দৃশ্যপট ঃ**

ইতিমধ্যে কামৰূপ বা পুৰণি অসমৰ ৰাজনৈতিক পটভূমিত ১১৪৩ খ্ৰীঃ মানত পাল বংশৰ ৰাজত্বৰ অন্ত পৰে আৰু বৃহৎ কামৰূপ ৰাজ্য ভাঙি সৰু সৰু কেইবাখনো স্বাধীন ৰাজ্যত খণ্ড-বিখণ্ড হৈ পৰে। ১২২০ খ্ৰীঃ মানত গৌড়ৰ ৰজা ৰামপালৰ সেনাপতি মায়নে কামৰূপ ৰাজ্যৰ একাংশ অধিকাৰ কৰি তিঙ্গ্যদেৱক শাসনকৰ্তা পাতে। ৰামপালৰ মৃত্যুৰ পিছতেই তিঙ্গ্যদেৱে স্বাধীনতা ঘোষণা কৰাত ৰামপালৰ পুত্ৰ কুমাৰপালে তেওঁক দমন কৰিবলৈ সেনাপতি বৈদ্যদেৱক পঠায়, কিন্তু কিছুদিন পিছতে বৈদ্যদেৱেও নিজকে

[২৬] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৯৩।
[২৭] **The Background of Assamese Culture**, Gauhati, 1978, p. 69.
[২৮] *ibid.*



স্বাধীন ৰজা হিচাপে প্ৰতিষ্ঠা কৰে। বৈদ্যদেৱৰ পৰৱৰ্তী কামৰূপৰ ৰজাসকলৰ বিষয়ে ধাৰাবাহিক বিৱৰণ পোৱা নাযায়। যিবোৰ সৰু সৰু ৰাজবংশ প্ৰতিষ্ঠা হৈছিল বুলি কোৱা হৈছে তাৰ ভিতৰত চন্দ্ৰবংশীয় ৰজা বল্লভদেৱৰ ১১০৭ শকৰ (১১৮৫ খ্ৰীঃ) এখন ফলি পোৱা গৈছে। তেওঁৰ পিছত সম্ভৱতঃ তেওঁৰ বংশৰ তিনি চাৰিজনে ৰাজ্য শাসন কৰিছিল। বল্লভদেৱক চুতীয়া ৰজা বীৰপালৰ সমসাময়িক বুলিব পাৰি।

১২০৫-০৬ খ্ৰীঃ (১১২৭ শক)-ত দিল্লীৰ চুলতান কুতুবুদ্দিনৰ সময়ত বঙ্গদেশৰ শাসনকৰ্তা মহম্মদ-বিন্-বখতিয়াৰে প্ৰথম কামৰূপ ৰাজ্য আক্ৰমণ কৰে। তেওঁৰ আক্ৰমণৰ লক্ষ্য তিব্বত আৰু চীনহে আছিল যদিও তেওঁ কূটনীতিৰে কামৰূপ ৰাজ্যৰ মাজেদি পাৰ হৈ যাব খোজাত কামৰূপৰাজ পৃথু বা বাৰ্ত্তুৱে[২৯] তেওঁক বাধা প্ৰদান কৰিলে। ফলত বখতিয়াৰ এনে এটা পৰিস্থিতিত পৰিল যে তেওঁৰ সৈন্যবাহিনীয়ে এখন নদী[৩০] সাঁতুৰি পাৰ হ'ব লগা হ'ল। ফলত এমুঠিমান সৈন্যৰে কোনোমতে প্ৰাণ বচাই তেওঁ নিজ ৰাজ্য গুলালৈগৈ। বাকী সৈন্য নদীৰ কোবাল সোঁতত জাহ গ'ল। এয়ে কামৰূপ তথা অসমত তুৰ্কী মুছলমানসকলৰ প্ৰথম আক্ৰমণ। সেই আক্ৰমণৰ কথা উত্তৰ গুৱাহাটীৰ কানাই বৰশীবোৱা শিলালিপিত অসমীয়া লিপিৰে সংস্কৃত ভাষাত লিপিবদ্ধ আছে। বখতিয়াৰে কৰমপতন বা কৰমপতন (বৰ্ত্তমান কামৰূপ জিলাৰ কুম্ৰীকটা) লৈকেহে আগবাঢ়িব পাৰিছিল।[৩১] মুছলমানসকলৰ দ্বিতীয় আক্ৰমণ বঙ্গদেশৰ শাসনকৰ্তা চুলতান গিয়াচুদ্দিনৰ অধীনত ১২২৬ খ্ৰীঃত হৈছিল। কামৰূপৰাজ পৃথুৰ হাতত পৰাজিত হোৱাৰ উপৰিও কিছুদিনৰ পিছতে তেওঁ ইলটুমিছৰ পুত্ৰ নাছিৰুদ্দিনৰ হাতত বঙ্গদেশৰ শাসনভাৰো হেৰুৱাইছিল।[৩২] **তাবাকত-ই-নাছিৰি (Tabaqat-i-Nasiri)**-ৰ মতে গিয়াচুদ্দিন ব্ৰহ্মপুত্ৰইদি উজাই সদিয়ালৈকে আগবাঢ়ি গৈছিল।[৩৩] কিন্তু স্থানীয় কোনো সমলতে ইয়াৰ উল্লেখ নাই। গতিকে পূব বা উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত চুতীয়া ৰাজ্যত মুছলমানসকলৰ প্ৰভাৱ পৰা নাছিল।

### গৌৰীনাৰায়ণ/ ৰত্নধ্বজপাল/ সোণাগিৰিপাল (আনুঃ১২১০-১২৫০ খ্ৰীঃ) ঃ

বীৰপালৰ মৃত্যুত তেওঁৰ পুত্ৰ গৌৰীনাৰায়ণ ৰজা হ'ল। দাঁতি-কাষৰীয়া আটাইকেইটা পাহাৰ (ৰাঙ্গলগিৰি, কালগিৰি, নীলগিৰি, ধবলগিৰি, চন্দনগিৰি ইত্যাদি)-ত থকা সকলো চুতীয়াকে বশ কৰি তেওঁ সামৰিক শক্তি বৃদ্ধি কৰে।[৩৪] ইয়াৰ পিছতে

[২৯] পৃথু বা বাৰ্ত্তুৰ আন দুটা নাম হ'ল - বিশ্বসুন্দৰদেৱ আৰু জল্পেশ্বৰ।
[৩০] গেইটৰ মতে এই নদীখন কৰতোৱা - *op. cit.*, p. 36; কনকলাল বৰুৱাৰ মতে এই নদীখন বেগমতি - **Early History of Kamarupa**, Gauhati, 1966, p. 136.
[৩১] See P.C. Choudhury, *op. cit.*, p. 255f; Gait, *op. cit.*, p. 36f.
[৩২] *ibid.*
[৩৩] cf. Gait, *op. cit.*, p. 37.
[৩৪] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৪৪।

গৌৰীনাৰায়ণে বিচক্ষণ আৰু বিশ্বাসী লোকক পাত্ৰমন্ত্ৰীৰ পদত নিযুক্তি দিলে। এনেদৰে ৰাজ্যৰ আভ্যন্তৰীণ ব্যৱস্থা সু-সংগঠিত কৰি তেওঁ ৰাজ্য বিস্তাৰ কৰিবলৈ মন মেলিলে। গৌৰীনাৰায়ণৰ লক্ষ্য আছিল এখন শক্তিশালী চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰা। সেই উদ্দেশ্যেই তেওঁ এটা শক্তিশালী সৈন্যবাহিনী লৈ শ্বেতগিৰি অঞ্চলত ৰাজত্ব কৰি থকা আন এজন চুতীয়া ৰজা ভদ্ৰসেনৰ ৰাজ্য আক্ৰমণ কৰে। যুদ্ধত ভদ্ৰসেন পৰাজিত হয় আৰু প্ৰাণ হেৰুৱায়। গৌৰীনাৰায়ণে ভদ্ৰসেনৰ 'শ্বেতিগিৰি[৩৫] পাহাৰত থকা পৰ্বতীয়া ৰাজধানী' আৰু সমতল অঞ্চলত থকা ৰত্নপুৰ ৰাজধানী অধিকাৰ কৰে। এই ৰত্নপুৰতে নিজৰ ৰাজধানী পাতি গৌৰীনাৰায়ণে ৰত্নধ্বজপাল নাম লয় আৰু 'কুবেৰৰ পুত্ৰ অজেয় বীৰ পুৰুষ বুলি যশস্যা বিস্তাৰ কৰে'।[৩৬] চুতীয়া জনশ্ৰুতি মতে, ভদ্ৰসেন সম্পৰ্কত বীৰপালৰ দদায়েক আছিল। তেওঁৰ আগতে সন্তধ্বজ, দেৱধ্বজ, গিৰিধ্বজ আৰু সুৰধ্বজ নামেৰে চাৰিগৰাকী ৰজাই এই ৰাজ্যত ৰাজত্ব কৰিছিল।[৩৭] ৰত্নধ্বজে ভদ্ৰসেনৰ ৰাজ্য জয় কৰি বহুতো ব্ৰাহ্মণ, দৈৱজ্ঞ, বিদ্যাৱন্ত লোক আৰু কমাৰ, তাঁতী, সোণাৰী, সূত আদি শিল্প কৰ্মত নিপুণ লোক পাইছিল আৰু সেইসকলৰ দ্বাৰা নিজ ৰাজ্যৰ উন্নতি সাধন কৰিছিল। তদুপৰি সম্ভ্ৰান্ত তথা ৰাজপৰিয়াল লোকৰ ব্যৱহাৰৰ উপযুক্ত অনেক সামগ্ৰীও লাভ কৰিছিল। ৰত্নধ্বজপালে এই অঞ্চলত ভদ্ৰসেনৰ পুত্ৰক কৰতলীয়া কৰি ৰাখিছিল।[৩৮]

ভদ্ৰসেনৰ ৰাজ্য অধিকাৰ কৰাৰ ফলত ৰত্নধ্বজপালৰ ৰাজ্যৰ দক্ষিণ সীমা প্ৰাচীন চুতীয়া ৰাজ্যলৈকে বিস্তৃত হৈ পৰে। সম্ভৱতঃ এই সময়ছোৱাতেই চাম্-লুং-ফাই ৰজাবিহীন প্ৰাচীন চুতীয়া ৰাজ্যখন জয় কৰিছিল। চাও-কা-ফাই বিদ্ৰোহী কোছি ৰজাক পৰাজিত কৰি ৰাজ্য এৰিবলৈ বাধ্য কৰাৰ পিছতেই ৰত্নধ্বজপালে এই ৰাজ্যখন বিনা যুদ্ধে নিজৰ অধীনলৈ অনাৰ বিৱৰণ আগতেই দিয়া হৈছে। প্ৰাচীন চুতীয়া ৰাজ্যখনৰ অন্তৰ্ভুক্তিৰ লগে-লগেই লুইতৰ দক্ষিণ পাৰৰ দিখৌ নদী আৰু উত্তৰ পাৰৰ দিক্ৰং নদীৰ পূব ভাগৰ উজনি অসম ৰত্নধ্বজপালৰ অধীনলৈ আহে। অৱশ্যে, দিখৌ আৰু দিহিঙৰ মাজৰ দোৱাবৰ দক্ষিণ অঞ্চলত পাহাৰৰ নামনিত বাস কৰা মৰাণ আৰু বৰাহীসকলৰ পৰা সম্ভৱতঃ নাম মাত্ৰ বশ্যতাৰ বিনিময়ত ৰত্নধ্বজপালে তেওঁলোকক নিজ নিজ এলেকাত স্বতন্ত্ৰীয়াভাৱে থাকিবলৈ এৰি দিছিল।[৩৯]

---

৩৫ ৰত্নপুৰৰ পৰা সদিয়াৰ পৰ্বতীয়া অঞ্চলটোলৈকে - সৰ্বেশ্বৰ বৰুৱা, 'চতুৰ্দশ শতিকাৰ চুটিয়া ৰাজত্ব', **মনিদীপ**, পঞ্চম বছৰ, নবেম্বৰ, ১৮৬৪, পৃঃ ৭২।

৩৬ সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, ডিচেম্বৰ, ১৯৬৪, পৃঃ ১২৭; See also Gait, *op. cit.*, p.4.

৩৭ সূৰ্য্যকান্ত খনিকৰ, **চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি**, গুৱাহাটী, ১৯৯১, পৃঃ ৪৮।

৩৮ সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, ডিচেম্বৰ, ১৯৬৪, পৃঃ ১২৭; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৪।

৩৯ দিখৌৰ পৰা দিচাং অঞ্চলত বৰাহী আৰু দিচাঙৰ পৰা দিহিং অঞ্চলত মৰাণসকলৰ বসতি আছিল। অধিক জানিবৰ বাবে P. Gogoi, **The Tai and the Tai Kingdoms**, Gauhati, 1968, p. 266. চাওক।



ইয়াৰ পিছতে ভূঞাসকলৰ লগত ৰত্নধ্বজপালৰ সংঘৰ্ষ হয়। ৰত্নধ্বজপালৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি ভূঞাসকলে 'পূবৰ একখণ্ড দেশ চুতীয়াক এৰি দি সন্ধি কৰে'।[৪০] সম্ভৱতঃ এই কালছোৱাতে চাম্-লুং-ফাৰ প্ৰাচীন চুতীয়া ৰাজ্য আক্ৰমণৰ সময়ত ৰাজ্য এৰি আহি এই খণ্ডত নিজ নিজ ৰাজ্য স্থাপন কৰা লেক্ৰয় ৰজাৰ দুই পুত্ৰ মৈচুৰা আৰু কোলিতাই ৰত্নধ্বজপালৰ বশ্যতা মানি লৈছিল।

ইয়াৰ পাছত ৰত্নধ্বজপালে তেওঁৰ ৰাজ্যৰ পশ্চিমফালে থকা ন্যায়পাল ৰজাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আগবাঢ়ে। ৰত্নধ্বজপালৰ বিপুল সমৰ সজ্জাৰ খবৰ পাই ন্যায়পাল ভীতিগ্ৰস্থ হয়। তেওঁ পাত্ৰ-মন্ত্ৰীৰ সৈতে আলোচনা কৰি ৰত্নধ্বজৰ লগত বন্ধুত্ব স্থাপন কৰাৰ সিদ্ধান্ত লয়, কাৰণ তেওঁলোকে উপলব্ধি কৰিছিল 'চুতীয়া দেশৰ ৰজা সুদা লোক নহয়, অনেক অনেক দেশ মাৰি ল'লে, ৰজাসকলকো বশ কৰি ল'লে।' গতিকে কটকী পঠাই ৰত্নধ্বজপালক সুধিলে, 'যুদ্ধকে ইচ্ছা কি প্ৰীতিকে ইচ্ছা? ৰজাৰ প্ৰীতিয়ে সাধন তাকে চাই যি বোলে তাকে কৰিম'। ৰত্নধ্বজপালে তেতিয়া ন্যায়পালক তেওঁলৈ কন্যা দি মিত্ৰতা কৰাৰ প্ৰস্তাৱ আগবঢ়ালে। ন্যায়পালেও 'ৰজাৰ কন্যা ৰজাৰহে যোগ্য, ৰাজচৰিত্ৰ হ'লে সামান্য লোকতো কন্যাক দিব পাৰি' - এই বুলি কৈ অনেক কাৰিকৰ আৰু বিদ্যাৱন্ত লোক আৰু বিভিন্ন যৌতুকসহ নিজ কন্যাক ৰত্নধ্বজপাললৈ বিয়া দিলে। সেই কন্যাৰ নাম আছিল ৰত্নেশ্বৰী।[৪১] এই গোটেইখিনি কাম সমাধা কৰোঁতে ৰত্নধ্বজপালক কমেও দুৰ বছৰ সময় লাগিছিল বুলি ধৰিলে আনুমানিক ১২২১-১২২২ খ্ৰীঃৰ ভিতৰত এই কাম সম্পন্ন হৈছিল।

ইতিমধ্যে ৰত্নেশ্বৰী মহিষীৰ গৰ্ভত ৰত্নধ্বজপালৰ এটি পুত্ৰ সন্তান জন্মে। তেওঁৰ নাম থ'লে বিজয়ধ্বজ। পুত্ৰ জন্মৰ পিছত ৰত্নধ্বজপালে ৰাজ্যবিস্তাৰৰ অভিযান ত্যাগ কৰি ৰাজ্য সুদৃঢ় কৰা আৰু প্ৰজাহিতকৰ কামত মনোনিবেশ কৰে। তেওঁ মিছিং (মিৰি) আৰু নিচি (ডফলা)সকলৰ উপদ্ৰৱৰ পৰা প্ৰজাসাধাৰণক ৰক্ষাৰ হেতু পাহাৰৰ দাঁতিয়ে দাঁতিয়ে অনেক গড় বান্ধিলে, ডাঙৰ ডাঙৰ বহুতো পুখুৰী খন্দালে আৰু কেইবাটাও মন্দিৰ নিৰ্মাণ কৰিলে।[৪২]

ৰত্নধ্বজপালৰ পুত্ৰ বিজয়ধ্বজ যৌৱনপ্ৰাপ্ত হোৱাত, তেওঁৰ বাবে বিবাহৰ উপযুক্ত কন্যাৰ সন্ধানত ৰজাই চাৰিওফালে কটকী পঠায়। কটকীসকলে উপযুক্ত কন্যাৰ সন্ধান দিব নোৱাৰাত ৰত্নধ্বজে কমতেশ্বৰৰ কন্যা বিচাৰি তেওঁৰ মন্ত্ৰী বিজয়সেনক কমতা ৰাজ্যলৈ পঠালে। সেই সময়ত কমতাৰাজ্যত সম্ভৱতঃ সন্ধ্যা (আনুঃ ১২৩০-১২৬০

---

৪০ **নকুলচন্দ্ৰ ভূঞাৰ ৰচনা সংগ্ৰহ**, সংকলন/সম্পাদনা যতীন্দ্ৰনাথ গোস্বামী, গুৱাহাটী, ১৯৯৬, পৃঃ ৫১২।

৪১ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৪-১৯৫; লীলা গগৈ, 'চুতীয়া ৰজাৰ বুৰঞ্জী', **স্মৃতিগ্ৰন্থ**, সদৌ অসম চুতীয়া সন্মিলন, ১৯৭১, পৃঃ ৭।

৪২ E.T. Dalton, 'Notes on the Chutyas of Upper Assam', in W.B. Brown's **An Outline Grammar of the Deori-Chutiya Language**, Appendix, p. 78.

খ্ৰীঃ) নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। এইজন সন্ধ্যাই বঙ্গৰ চুলতান ইখ্‌তিয়াৰ-উদ্দিন-উজ্‌বেক তুঘ্রিল খাঁৰ কামৰূপ আক্ৰমণ বীৰত্বৰে প্ৰতিৰোধ কৰি কৃতিত্ব অৰ্জন কৰিছিল। ৰত্নধ্বজপালৰ প্ৰস্তাৱ গ্ৰহণ নকৰি সন্ধ্যাই ৰত্নধ্বজৰ কটকী মন্ত্ৰী বিজয়সেনৰ আগত ৰত্নধ্বজলৈ কৈ পঠালে - 'যদি ৰজা আহি নিয়ে তেহে দিব পাৰো'। কমতেশ্বৰৰ এই বাৰ্তাত ৰত্নধ্বজপালে অপমান বোধ কৰি পাত্ৰ-মন্ত্ৰীসকলৰ লগত আলোচনা কৰাত তেওঁলোকে ক'লে, 'আমি আনিব নোৱাৰো বুলিহে কমতেশ্বৰে এনেকৈ কৈছে। ন্যায়পাল ৰজাত কৰি কমতেশ্বৰ বৰ হ'ব নেকি?'[৪৩] ইয়াৰ পিছত কমতাৰাজ্য আক্ৰমণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই আক্ৰমণৰ পূৰ্ব প্ৰস্তুতি হিচাবে সৈন্য-সামন্ত, ৰচদ-পাতি সংগ্ৰহৰ ব্যৱস্থা কৰাৰ উপৰিও ৰত্নধ্বজপালে তেওঁৰ ৰাজধানীৰপৰা কমতা ৰাজ্যৰ ৰাজধানীলৈ এটা আলিবাট বান্ধিবলৈ আৰু এই বাটৰ কাষত এদিনৰ অন্তৰে অন্তৰে তেওঁৰ সৈন্যবাহিনীয়ে জিৰণি ল'বলৈ একো একোখন নগৰ/ কোঠ নিৰ্মাণ কৰিবলৈ বিজয়সেন মন্ত্ৰীক আদেশ দিয়ে। বিজয়সেন মন্ত্ৰীয়ে অনেক সৈন্য-সামন্ত লগত লৈ হাবি-বন কাটি অতি কম সময়ৰ ভিতৰত এই আলিবাট বান্ধিলে আৰু সেইমতে নগৰো পাতিলে। সকলো কাম সমাপ্ত কৰি তেওঁ ৰজালৈ খবৰ পঠালে, 'কুবেৰৰ প্ৰসাদ সমস্তে হ'ল'। এই বাৰ্তা পাই ৰত্নধ্বজপালে জয়ধ্বজ মন্ত্ৰীক শাসনৰ দায়িত্বত থৈ নিজে কমতা ৰাজ্যলৈ অগ্ৰসৰ হ'ল। ৰত্নধ্বজপালৰ এই অভিযানৰ কথা গম পাই কমতেশ্বৰ শংকিত হৈ ক'লে, 'আমি হঠাতে বচন বুলিলো। পৰ্বত-পাহাৰ জংঘল ভাঙি ইঠাইলৈ আহিব নোৱাৰিব, এই বুলিহে এই কথা বুলিলো; জানিলো, এই কৰম সামান্য শক্তি নহই।'[৪৪] ইয়াৰ পিছত কমতেশ্বৰে পাত্ৰ-মন্ত্ৰীৰ লগত আলোচনা কৰি সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে আৰু নিজৰ সকলোতকৈ সুন্দৰী কন্যাটি ৰাজযোগ্য যৌতুকেৰে সৈতে ৰত্নধ্বজৰ পুত্ৰ বিজয়ধ্বজলৈ বিয়া দিলে।[৪৫] এই বিবাহ সম্ভৱতঃ ১২৪০-৪১ খ্ৰীঃ মানত সম্পন্ন হৈছিল। চুতীয়া বুৰঞ্জীত আছে যে কমতা ৰাজ্যৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰাৰ পিছত ৰত্নধ্বজপালে গৌড় ৰজাৰ লগত সখি সম্বন্ধ স্থাপন কৰিবলৈ মন মেলিলে। সেই সময়ত গৌড় তুৰ্কী মুছলমানসকলৰ শাসনাধীন আছিল। অৱশ্যে ইয়াৰ পূব অংশত সেনবংশী ৰজাসকলে স্বাধীনভাৱে ৰাজত্ব কৰিছিল। চুতীয়া বুৰঞ্জীত গৌড়ৰ ৰজাক পাৎসা আৰু তেওঁৰ মন্ত্ৰীক বৰউজিৰ বোলা হৈছে। বুৰঞ্জীত আৰু উল্লেখ আছে যে গৌড় ৰজাৰ লগত বন্ধুত্ব স্থাপন কৰি পৰৱৰ্তী কালছোৱাত গৌড়েশ্বৰে ৰত্নধ্বজপাললৈ গঙ্গাজল আৰু ৰত্নধ্বজপালে গৌড়েশ্বৰলৈ পৰশুৰাম কুণ্ডৰ জল আদান-প্ৰদান কৰি থাকিবলৈ এটা বুজাপৰালৈ

৪৩ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৫; লীলা গগৈ, 'চুতীয়া ৰজাৰ বুৰঞ্জী'; পৃঃ ৭।
৪৪ ঐ।
৪৫ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৫-১৯৬; পদ্মনাথ গোহাঞিবৰুৱা, **অসমৰ বুৰঞ্জী**, গুৱাহাটী, ১৯৭৬, পৃঃ ১৩৯; N.N. Acharyya, **The History of Medieval Assam**, Gauhati, 1966, p. 236; Dalton, *op. cit.*, pp. 78f.



আহিছিল। তদুপৰি ৰত্নধ্বজপালে তেওঁৰ এটি পুত্ৰক শিক্ষা লাভৰ অৰ্থে গৌড় ৰাজ্যত ৰাখিছিল। দুয়োজন ৰজাৰ মাজত উপহাৰৰ আদান-প্ৰদান হৈছিল। গৌড়েশ্বৰৰ পুত্ৰও চুতীয়া ৰাজ্যলৈ আহিছিল। এনেদৰেই তেওঁলোকৰ বন্ধুত্ব বৰ্তি আছিল। দুৰ্ভাগ্যবশতঃ ৰত্নধ্বজপালৰ পুত্ৰটিৰ গৌড় ৰাজ্যতে মৃত্যু হয়। গৌড়ৰাজে তেতিয়া মহা অসন্তোষ কৰি ক'লে, 'মঞি এখেতে কাজক্ৰিয়া কৰিব পাৰো। সখি ৰাজা বা কোন খান বোলে? আপোনাৰ দেশ ধাৰণে তাতে কাজক্ৰিয়া কৰিব।'[৪৬] এই সিদ্ধান্ত গ্ৰহণ কৰি গৌড়ৰাজে কেইবাজনো লোকৰ লগত বয়-বস্তুসহ ৰত্নধ্বজপালৰ পুতেকৰ মৃতদেহ পঠাই দিলে। সেই সময়ত ৰত্নধ্বজপাল সিদ্ধুক্ষেত্ৰত এখন নগৰ নিৰ্মাণ কাৰ্যত ব্যস্ত আছিল। তাতেই তেওঁক পুতেকৰ শ-দেহ শোধাই দিয়াত সেই ঠাইৰ নাম তেতিয়াৰপৰাই শদিয়া বা পাল শদিয়া (পাল ৰজাৰ শ পোতা ঠাই) হয়।[৪৭] পুত্ৰৰ অকাল মৃত্যুত ৰত্নধ্বজপালে মৰ্মান্তিক আঘাত পায় আৰু ইয়াৰ কিছুদিন পিছতে সিদ্ধুক্ষেত্ৰত তেওঁ প্ৰাণত্যাগ কৰে।

গৌড় ৰজাৰ লগত ৰত্নধ্বজপালৰ মিত্ৰতাৰ প্ৰশ্নটো লৈ বিভিন্ন মহলত এতিয়াও বিতৰ্কৰ সৃষ্টি হয়, কাৰণ গৌড়ৰ তুৰ্কী মুছলমান পাৎসা আৰু চুতীয়া ৰাজ্যৰ হিন্দু ৰজা ৰত্নধ্বজপালৰ মাজত গঙ্গাৰ জল আৰু পৰশুৰাম কুণ্ডৰ জল আদান প্ৰদান হোৱাৰ কথাটো সহজে গ্ৰহণ কৰিব নোৱাৰি। প্ৰকৃততে গৌড়ৰ এই ৰজাজন ইছলামধৰ্মী পাৎসা নাছিল। তেওঁ গৌড়ৰ পূব অংশত ৰাজত্ব কৰি থকা সেনবংশী হিন্দু ৰজাহে আছিল আৰু এই ৰজাজন সম্ভৱতঃ লক্ষ্মণসেন (১১৭৮-১২০৫ খ্ৰীঃ)ৰ বংশধৰ আছিল। লক্ষ্মণসেনৰ মৃত্যুত প্ৰথমে তেওঁৰ বৰপুত্ৰ বিশ্বৰূপসেন আৰু তাৰপিছত তেওঁৰ কণিষ্ঠ পুত্ৰ কেশৱসেনে ১২৩০ খ্ৰীঃ মানলৈকে ৰাজত্ব কৰিছিল। তাৰ পিছত তেওঁলোকৰ বংশধৰসকলে প্ৰায় ১২৬০ খ্ৰীঃ লৈকে গৌড়ৰ পূব অংশত ৰাজত্ব কৰি আছিল বুলি জনা যায়।[৪৮] এই গৌড়ৰাজৰ লগত ৰত্নধ্বজপালৰ মিত্ৰতা তেওঁৰ ৰাজত্বৰ শেষৰফালে হৈছিল, কিন্তু গৌড় ৰজাজনৰ নামটো সঠিককৈ দিব নোৱাৰি, কাৰণ, সেই সময়ছোৱাত ৰাজত্ব কৰা বুলি দুজন সেনবংশী ৰাজকুমাৰ সূৰ্য্যসেন আৰু পুৰুষোত্তম সেনৰ নাম পোৱা গৈছে যদিও তেওঁলোকে গৌড়ত ৰাজত্ব কৰাৰ কোনো বিশ্বাসযোগ্য তথ্য নাই। কেশৱসেনৰ পিছত তেওঁৰ বংশধৰসকলৰ বিষয়ে সবিশেষ জনা নাযায়। **তাবাকাট-ই-নাছিৰীৰ** মতে, তেওঁলোকে অন্ততঃ ১২৪৫ খ্ৰঃৰপৰা সম্ভৱতঃ ১২৬০ খ্ৰীঃলৈকে ৰাজত্ব কৰিছিল।[৪৯]

৪৬ লীলা গগৈ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৬।
৪৭ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৭; গোহাঞিবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৯।
৪৮ **The History of Bengal**, Vol. I (ed.), R.C. Majumdar, University of Decca, 1943, pp. 225-227.
৪৯ *ibid.*, p. 227.

চুতীয়া ৰাজপুত্ৰৰ মৃতদেহটো গঙ্গাৰ পাৰত সৎকাৰ নকৰি পিতৃৰ ওচৰলৈ পঠিয়াই দিয়া কথাটো সহজে গ্ৰহণ কৰিবলৈ টান লাগে। কাৰণ বঙ্গদেশৰপৰা সদিয়ালৈ আছিল বহুদিনৰ বাট। মৃতদেহ সংৰক্ষণ কৰাৰ পদ্ধতি তেতিয়ালৈকে সম্ভৱতঃ ভাৰতবৰ্ষত নাছিল। আহোমসকলেহে এই পদ্ধতি জানিছিল যেন লাগে, কাৰণ, তেওঁলোকে ৰজাৰ মৃতদেহ দেহাৰসানৰ কেইবাদিনৰ পিছতহে মৈদাম দিছিল। সদিয়া নামৰ উৎপত্তি ব্যাখ্যা কৰিবলৈকে চুতীয়া বুৰঞ্জী প্ৰণেতাজনে এই কথা সংযোগ কৰিছিল যেন অনুমান হয়। চুতীয়া ৰজাসকলৰ ফলিবোৰত তেওঁলোকৰ ৰাজধানী তথা ৰাজ্যৰ নাম 'সধয়া' বা 'স্বধয়া' বুলিহে আছে। চুতীয়া ৰজাসকলক 'সধেয়াধিপতি' বা 'সধয়া/ স্বধয়াপুৰীশ্বৰ' বুলি কোৱা হৈছে। ইয়াৰপৰা পৰিষ্কাৰ হয় যে ৰাজ্যখনৰ নাম আছিল সধয়া/ স্বধয়া আৰু ৰাজধানীৰ নাম আছিল সধয়াপুৰ বা স্বধয়াপুৰ। তেওঁলোকৰ কোনো ফলিত বিদৰ্ভ বা কুণ্ডিলৰ উল্লেখ নাই। সম্ভৱতঃ আহোম ৰাজ্যৰ লগত চুতীয়া ৰাজ্য চামিল হোৱাৰ পিছত 'সধয়া' নামটো 'সদিয়া' বা 'শদিয়া'লৈ পৰিৱৰ্তিত হয়। কাৰণ যিজন বিষয়াক চুতীয়া ৰাজ্য শাসন কৰিবলৈ দিছিল সেই বিষয়াজনক কোৱা হৈছিল শদিয়াখোৱা গোহাঁই। 'সদিয়া' শব্দৰ অৰ্থ চুতীয়া ভাষাত সূৰ্য্য উঠা নদীৰ পাৰৰ ঠাই (স = সূৰ্য্য; দি = নদী, য়া = ভূমি)।[৫০]

ৰত্নধ্বজপাল এজন ৰাজনীতিজ্ঞ পুৰুষ আছিল। তেওঁ কেৱল ৰাজ্য জয়েই কৰা নাছিল, ৰাজ্য সুদৃঢ়কৰণো কৰিছিল। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'ৰ নীতি অনুযায়ী প্ৰয়োজনবোধে তেওঁ মিত্ৰতাও কৰিছিল। ন্যায়পাল আৰু কমতা ৰজাৰ লগত তেওঁৰ মিত্ৰতাৰ নীতি দূৰদৰ্শিতাৰ পৰিচায়ক। ইতিমধ্যে তুৰ্কী মুছলমানসকলে দুবাৰকৈ কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। এই অভিযানবোৰ ব্যৰ্থ হৈছিল যদিও ভাৰতবৰ্ষত ইতিমধ্যে বিস্তাৰ লাভ কৰা তুৰ্কীসকলে পুনৰ যে কামৰূপ ৰাজ্য আক্ৰমণ কৰি ইয়াৰ পূব সীমান্তলৈ অগ্ৰসৰ নহ'ব তাত কোনো সন্দেহ নাছিল। এই সম্ভাৱনাৰ গুৰুত্ব উপলব্ধি কৰিয়েই ৰত্নধ্বজপালে কমতা ৰজাৰ জীয়াৰীৰ লগত তেওঁৰ পুত্ৰৰ বৈবাহিক সম্পৰ্ক স্থাপন কৰিছিল। একেটা কাৰণতে গৌড় ৰজাৰ লগতো বন্ধুত্বৰ পাশত আৱদ্ধ হৈছিল। এই বন্ধুত্ব কেৱল উপহাৰ বিনিময়তে সীমিত নাছিল, ইয়াক পাৰিবাৰিক সম্বন্ধৰে যুগমীয়া কৰিবলৈ তেওঁ নিজ পুত্ৰক গৌড় ৰজাৰ লগত থাকিবলৈ পঠাই দিছিল আৰু গৌড় ৰজায়ো চুতীয়া ৰজাৰ পুত্ৰক নিজৰ পুত্ৰৰ দৰে সাৰটি ধৰিছিল। মিত্ৰতাৰ এনে উদাহৰণ বুৰঞ্জীত বিৰল। গৌড় ৰজাৰ লগত মিত্ৰতা হোৱাৰ ফলত তেওঁ সেই ৰাজ্যৰপৰা শিল্পী আৰু বিভিন্ন কাৰিকৰী লোকক তেওঁৰ ৰাজ্যলৈ আনি বঙ্গদেশৰ পাল বংশী ৰজাসকলৰ স্থাপত্য-ভাস্কৰ্য্যৰ আৰ্হিত নিজৰ ৰাজ্যতো মন্দিৰ, অট্টালিকা আদি নিৰ্মাণ কৰিব পাৰিছিল।

৫০ খনিকৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৮।



ৰত্নধ্বজপাল চুতীয়াসকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা আছিল আৰু 'চুতীয়া ৰাজ্যৰ ঐতিহ্য আৰু সাংস্কৃতিক বুনিয়াদ তেৱেঁই ৰচনা কৰিছিল'।[৫১] ৰাজ্যৰ সুৰক্ষাৰ প্ৰতি ৰত্নধ্বজপালে চকু ৰাখিছিল। দাঁতি-কাষৰীয়া আদি (আবৰ), নিচি (ডফলা), পৰ্বতীয়া মিছিং (মিৰি) আদি লোকৰপৰা সীমান্ত সুৰক্ষিত কৰিবলৈ তেওঁ কেইবাঠাইটো দুৰ্গ নিৰ্মাণ কৰিছিল। তেওঁ কেইবাটাও পুখুৰী খন্দাইছিল আৰু আলিবাট বন্ধাইছিল বুলি ডেল্টনে তেওঁৰ টোকাত উল্লেখ কৰিছে।[৫২] কথিত আছে যে তেওঁৰ দিনত চাৰিআলি, পাকৰিগুৰি, কলংপুৰ, গহপুৰ, পানবাৰী, তেলাহী, সদাৰ্শী, বচা, ঢদিং, চিদিং, মুলোৱাল, গাগলডুবি, মণিপুৰ, অভয়পুৰ, বৰাহীথান আদি ঘাই ঠাই আছিল।[৫৩] আন কথাত এই ঠাইবোৰ একো একোখন সৰু সৰু নগৰ তথা বাণিজ্য কেন্দ্ৰ হৈ পৰিছিল। এনেকুৱা প্ৰজাহিতকৰ কামেৰে তেওঁ প্ৰজাৰ আনুগত্য লাভ কৰিবলৈ সমৰ্থ হৈছিল।

ৰত্নধ্বজপালে বিচক্ষণ লোকক শাসনকাৰ্যত নিযুক্তি দিছিল আৰু সেইবাবে ৰাজ্যৰ ভাৰ মন্ত্ৰীৰ হাতত গতাই তেওঁ দীৰ্ঘদিনৰ বাবে ৰাজ্যৰপৰা আঁতৰি থাকিব পাৰিছিল। অথচ, ৰাজ্যত কোনো বেমেজালি হোৱা নাছিল। নিজ ৰাজধানীৰপৰা কমতাপুৰলৈকে বিস্তৃত এটা সুদীৰ্ঘ আলিবাট নিৰ্মাণৰ দায়িত্ব তেওঁ এজন মন্ত্ৰীৰ হাতত অৰ্পণ কৰিছিল। মন্ত্ৰীজন ইমান বিচক্ষণ, কৰ্তব্যপৰায়ণ আৰু ৰাজভক্ত আছিল যে তেওঁ ভবাতকৈ বেছি আগতেই মন্ত্ৰীজনে আলিবাট নিৰ্মাণৰ কাম সন্তোষ লগাকৈ সমাপ্ত কৰিছিল। যিকোনো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে ৰজাই পাত্ৰমন্ত্ৰীৰ লগত আলোচনা কৰি লৈছিল বুলি **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত কেইবাবাৰো উল্লেখ কৰিছে।[৫৪] মন্ত্ৰী আৰু বিষয়াসকলৰ ওপৰত এই আস্থা ৰখাৰ বাবেই আৰু ৰাজ্যৰ প্ৰতিৰক্ষা আৰু বিস্তাৰৰ কথাত তেওঁলোকৰ পৰামৰ্শ মানি চলাৰ কাৰণেই ৰত্নধ্বজপালে মন্ত্ৰী আৰু বিষয়াসকলৰ সম্পূৰ্ণ সহযোগিতা আদায় কৰিব পাৰিছিল। গতিকে, নীতিগতভাৱে তেৱেঁই ৰাষ্ট্ৰৰ সৰ্বময় কৰ্তা আছিল যদিও বাস্তৱ ক্ষেত্ৰত তেওঁ এই কৰ্তৃত্ব মন্ত্ৰী আৰু বিষয়াসকলৰ লগত প্ৰয়োজনবোধে ভাগ কৰি লৈছিল। ৰাজনীতিৰ গভীৰ জ্ঞান নাথাকিলে এনে নীতি গ্ৰহণ কৰিব নোৱাৰি। ৰত্নধ্বজপালে নিশ্চয় জ্ঞানী ব্ৰাহ্মণকো ভূমিদান দিছিল। কিন্তু আজিলৈকে তেওঁৰ দিনৰ কোনো ভূমিদানৰ ফলি আৱিষ্কৃত হোৱা নাই। ৰত্নধ্বজপাল সাহিত্য-সংস্কৃতিৰো পৃষ্ঠপোষক আছিল। এইবোৰ গুণৰ বলতে তেওঁ আটাইৰে শ্ৰদ্ধাভাজন হ'ব পাৰিছিল। পিতাকে পাতি থৈ যোৱা সৰু ৰাজ্যখনক তেওঁ বিশালতৰ ৰূপ দিছিল আৰু চুতীয়া সংস্কৃতিৰ গৌৰৱ কামৰূপ ৰাজ্যৰ সীমা পাৰ কৰি গৌড় পৰ্যন্ত বিস্তাৰিত

৫১ যোগেশ্বৰ বৰুৱা, **চুতীয়া ৰজা ৰত্নধ্বজপাল**, গহপুৰ, ২০০৪, পৃঃ ৩২।

৫২ Dalton, *loc. cit.*

৫৩ ভ্ৰমৰচন্দ্ৰ শইকীয়া, 'চুতীয়া ৰজা সত্যনাৰায়ণৰ ৰাজ্য আৰু নগৰ', **আৱাহন**, অষ্টম বছৰ, দশম সংখ্যা, ১৮৫৯, পৃঃ ১১৯২।

৫৪ পৃঃ ১৯৪-১৯৬।

কৰিব পাৰিছিল।

ৰত্নধ্বজপালৰ ৰাজত্বকালতে ১২২৮ খ্ৰীঃত চাওলুং চুকাফাৰ নেতৃত্বত টাই-শান গোষ্ঠীৰ আহোমসকলৰ অসমত প্ৰবেশ ঘটিছিল। ঘৰুৱা কন্দলৰ হেতু চুকাফাই নিজ দেশ এৰি নতুন বাসভূমিৰ সন্ধানত অসম ওলাইছিলহি। তেওঁৰ অনুগামীৰ সংখ্যাগত স্থিতি সৰল নোহোৱাত থলুৱা জনগোষ্ঠীৰ লগত তেওঁ বিৰোধ এৰাই চলিছিল। প্ৰায় বিশ বছৰ কাল সুচল বাসভূমিৰ সন্ধান আৰু সম্ভৱতঃ স্বদেশৰ গুপ্তচৰৰ দৃষ্টিগোচৰৰ পৰা নিলগত থাকিবলৈকে তেওঁ বিভিন্ন স্থান ভ্ৰমি ফুৰিছিল। ৰত্নধ্বজ পালৰ মৃত্যুৰ পিছতহে চুকাফাই মৰাণ-বৰাহীসকলক কুটনৈতিক কৌশলেৰে বশ কৰি চৰাইদেওত নগৰ পাতি ১২৫৩ খ্ৰীঃত ৰাজ্যস্থাপন কৰিছিল।[৫৫] বুৰঞ্জীত উল্লেখ আছে যে বৰাহীৰজা থামিথুমা বা থাকুম্থাৰ লগত আলোচনা কৰিহে তেওঁ চৰাইদেউত ৰাজধানী পাতিবলৈ স্থিৰ কৰিছিল।[৫৬]

**শিৱনাৰায়ণ ওৰফে বিজয়ধ্বজপাল (আনুঃ ১২৫০-১২৭০ খ্ৰীঃ)ৰ পৰা ব্ৰজনাৰায়ণ ওৰফে জয়ধ্বজপাল (আনুঃ ১৩৪৩-১৩৬০ খ্ৰীঃ) লৈ ঃ**

ৰত্নধ্বজপালৰ পিছত তেওঁৰ পুত্ৰ শিৱনাৰায়ণ ওৰফে বিজয়ধ্বজপাল ৰজা হয়। তেওঁ অনেক দল-দেৱালয় নিৰ্মাণ কৰিছিল আৰু পুখুৰী খন্দাইছিল বুলি জনা যায়। জনশ্ৰুতিমতে, তেওঁ 'বাৰ মাহত তেৰ পূজা' অনুস্থিত কৰিছিল।[৫৭]

শিৱনাৰায়ণৰ পিছত ক্ৰমে জগতনাৰায়ণ/বিক্ৰমধ্বজপাল (আনুঃ ১২৭০-১২৮৫ খ্ৰীঃ), প্ৰমত্ত নাৰায়ণ/প্ৰমথ নাৰায়ণ/ গৌৰধ্বজপাল (আনুঃ ১২৮৫-১৩০৫ খ্ৰীঃ), হৰিনাৰায়ণ/শঙ্খধ্বজপাল (আনুঃ ১৩০৫-১৩২৫ খ্ৰীঃ), গোলোক নাৰায়ণ/ ময়ুৰধ্বজপাল (আনুঃ ১৩২৫-১৩৪৩ খ্ৰীঃ) আৰু ব্ৰজনাৰায়ণ/জয়ধ্বজপাল (আনুঃ ১৩৪৩-১৩৬০ খ্ৰীঃ) চুতীয়া ৰাজ্যৰ ৰজা হয়। তেওঁলোকৰ ৰাজত্বকালৰ সবিশেষ বিৱৰণ এতিয়ালৈকে পোৱা নাই।

**সমসাময়িক কামৰূপৰ ৰাজনৈতিক দৃশ্যপট ঃ**

এই সুদীৰ্ঘ কালছোৱাত (১২৪৯-১৩৫৪ খ্ৰীঃ) কামৰূপ কমতাৰ বুৰঞ্জীত বহুখিনি পৰিবৰ্তন সংঘটিত হয়। ১২৫৭ খ্ৰীঃত কমতা ৰাজ সন্ধ্যাৰ দিনত (১২৩০-১২৬০ খ্ৰীঃ) বঙ্গৰ চুলতান ইখতিয়াৰ উদ্দিন উজবেক তুঘ্ৰিল খাঁই কামৰূপ আক্ৰমণ কৰিবলৈ আহি এটা সংকটময় পৰিস্থিতিত পৰি নগৰ এৰি পলাই যাবলৈ বাধ্য হয়। কিন্তু পলায়নকাৰী তুঘ্ৰিল খাঁক কামৰূপী সৈন্যই যাঠীৰে খুচি বধ কৰে। সন্ধ্যাৰ পিছত তেওঁৰ বংশৰ

[৫৫] **Ahom Buranji,** (trans & ed.) G.C. Barua, Gauhati, 1985, p. 46f.; Gait, *op. cit.*, p. 78.

[৫৬] সাতসৰী অসম বুৰঞ্জী পৃঃ ৬।

[৫৭] ভ্ৰমৰচন্দ্ৰ শইকীয়া, পূৰ্বোক্ত প্ৰবন্ধ।



কেইবাজনো ৰজাই ৰাজত্ব কৰে। শেষ ৰজা সিংহধ্বজক হত্যা কৰি তেওঁৰ মন্ত্ৰী প্ৰতাপধ্বজে সিংহাসন অধিকাৰ কৰিছিল। তেওঁৰ দিনত (আনুঃ১৩০৫-১৩২৫ খ্ৰীঃ) আহোম স্বৰ্গদেউ চুখ্ৰাংফাই (১২৯৩-১৩৩২ খ্ৰীঃ) কমতা ৰাজ্য আক্ৰমণ কৰে। যুদ্ধত প্ৰতাপধ্বজে পৰাজয় বৰণ কৰি নিজৰ জীয়েক ৰাজনী কুঁৱৰীক আহোম স্বৰ্গদেউলৈ দিয়া দি তেওঁৰ লগত মিত্ৰতা স্থাপন কৰে। সম্ভৱতঃ তেওঁৰ দিনতে বঙ্গৰ চুলতান গিয়াচুদ্দিন আজম চাহে আনুমানিক ১৩২১-২২ খ্ৰীঃত কমতা ৰাজ্য আক্ৰমণ কৰি নগাঁও পৰ্যন্ত অগ্ৰসৰ হয়, কিন্তু কছাৰীসকলৰদ্বাৰা বাধাগ্ৰস্ত হৈ উভটি যাবলগীয়া হয়।

প্ৰতাপধ্বজৰ মৃত্যুৰ পিছত আনুঃ ১৩৩০ খ্ৰীঃত কমতা ৰাজ্যৰ বিভাজন হয়। ৰাজধানী কমতাপুৰসহ ৰাজ্যৰ উত্তৰ-পূব অংশৰ উত্তৰাধিকাৰী হয় প্ৰতাপধ্বজৰ পুত্ৰ দুৰ্লভনাৰায়ণ আৰু ৰংপুৰ আৰু মৈমনসিঙকে ধৰি বাকী অংশখিনি প্ৰতাপধ্বজৰ ভতিজাক ধৰ্মনাৰায়ণৰ হাতলৈ যায়। ৰামচৰণ ঠাকুৰৰ **গুৰু চৰিত**ত ধৰ্মনাৰায়ণক 'কমতেশ্বৰ' আৰু দুৰ্লভনাৰায়ণক 'গৌড়েশ্বৰ' বুলি কোৱা হৈছে। **কথাগুৰু চৰিত**ৰপৰা জনা যায় যে ৰাজ্য বিভাজন সন্ধিৰ চৰ্ত সাপেক্ষে ধৰ্মনাৰায়ণে দুৰ্লভনাৰায়ণৰ লগত সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ পৰিয়াল দিছিল। এই সাতঘৰ কায়স্থৰ ভিতৰত শঙ্কৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰো আছিল। তেওঁ আছিল কায়স্থসকলৰ শিৰোমণি ভূঞা।

দুৰ্লভনাৰায়ণৰ দিনতে ১৩৩১ খ্ৰীঃত মহম্মদ-বিন্-টুঘলকে প্ৰায় ১০,০০০ সৈন্য লৈ কমতা ৰাজ্য আক্ৰমণ কৰে। কিন্তু বিফল হৈ ঘূৰি যাব লগা হয়। দুৰ্লভনাৰায়ণ শিক্ষা সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। হেম সৰস্বতী, হৰিহৰ বিপ্ৰ আদি বিখ্যাত কবি তেওঁৰ ৰাজসভাত আছিল। তেওঁৰ মৃত্যুৰ পিছত আনুঃ ১৩৫০ খ্ৰীঃত তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ ৰজা হয়। তেওঁ 'পঞ্চগৌড়েশ্বৰ' উপাধি গ্ৰহণ কৰিছিল।

**নন্দীশ্বৰ/নন্দী-নৃপ (আনুঃ ১৩৬০-১৩৭৮ খ্ৰীঃ) ঃ**

সত্যনাৰায়ণ, প্ৰত্যক্ষনাৰায়ণ আৰু যশনাৰায়ণৰ ধেনুখনা তামৰ ফলিত (১৩১৪ শক/ ১৩৯২ খ্ৰীঃ) নন্দীশ্বৰৰ নাম 'নন্দী-নৃপ' বুলি লিখা হৈছে আৰু তেওঁক ৰজা সত্যনাৰায়ণৰ পিতৃ বুলি কোৱা হৈছে। ফলিৰ শাসনত লিখামতে সদিয়াত ৰাজত্ব কৰা নন্দীশ্বৰ এগৰাকী প্ৰতাপী, ধাৰ্মিক আৰু যশস্বী ৰজা আছিল। তেওঁৰ মহিষীৰ নাম আছিল দৈৱকী। দৈৱকীৰ গৰ্ভতে উগ্ৰবীৰ্য, শত্ৰু বিনাশকাৰী সত্যনাৰায়ণৰ জন্ম হৈছিল।[৫৮]

কাশীনাথ তামুলী ফুকনৰ **অসম বুৰঞ্জী সাৰ** আৰু **আহোম বুৰঞ্জী**ৰ মতে চুতীয়া ৰজা (নন্দীশ্বৰ)ই আহোম স্বৰ্গদেৱ চুতুফা (১৩৬৪-১৩৭৬ খ্ৰীঃ)ৰ লগত বন্ধুত্ব স্থাপন

[৫৮] **প্ৰাচ্য শাসনাৱলী,** (সম্পাদিত) মহেশ্বৰ নেওগ, গুৱাহাটী, ১৯৭৮, পৃঃ ৮৪, ফলি নং ১০৬।

আগবঢ়ালে তেখেতসকললৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। গৱেষণা সহায়ক শ্ৰী জিতু খনিকৰ আৰু শ্ৰী নৃপেন শইকীয়াৰ লগতে কাৰ্যালয় সহায়ক হিচাপে সেৱা আগবঢ়োৱা শ্ৰী ইন্দজিৎ সন্দিকৈ আৰু শ্ৰী বিদ্যুৎ চুতীয়ালৈ আমাৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। প্ৰভাত চুতীয়া, ললিত চুতীয় আৰু যিসকল ব্যক্তিয়ে বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত বহুমূলীয়া দিহা পৰামৰ্শ আগবঢ়াই আমাক অনুপ্ৰেৰণা যোগালে তেখেতসকলৰ ওচৰত আমি ঋণী হৈ থাকিম। শেষত মোৰ পত্নী মীৰা চুতীয়া, যি গৰাকীয়ে এই কাম সম্পন্ন কৰিবলৈ মোক অহৰহ সাহস আৰু অনুপ্ৰেৰণা যোগালে, তেওঁলৈও আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

মিনাৰাম চুতীয়া
সভাপতি
বুৰঞ্জী প্ৰণয়ন সমিতি

৭ ব'হাগ, ১৯২৯ শক
২১ এপ্ৰিল, ২০০৭ খ্ৰীঃ

## *মুখ্য সম্পাদকৰ টোকা*

ইটালীয়ান মনিষী চিচেৰ' (Cicero)ই খ্ৰীঃপূৰ্ব প্ৰথম শতিকাতে কৈছিল 'যিজনে নিজৰ অতীতক নেজানে তেওঁ চিৰদিনেই শিশু হৈ থাকে', অৰ্থাৎ তেওঁৰ বৌদ্ধিক বিকাশ কোনোদিনেই নঘটে। এটা জাতিয়েও নিজৰ অতীত সোঁৱৰণ কৰি তাৰপৰা শিক্ষা ল'ব নেজানিলে প্ৰগতিৰ পথত আগবাঢ়ি উজ্জ্বল ভৱিষ্যত ৰচনা কৰিব নোৱাৰে। বুৰঞ্জী মূলত সত্য অনুসন্ধানৰ যাত্ৰা; বুৰঞ্জীয়ে আমাক অতীতৰ পৰা শিক্ষা লৈ ভৱিষ্যত গঢ়িবলৈ অনুপ্ৰেৰণা যোগায়। ভাৰতবৰ্ষত জাতীয়তাবাদৰ উন্মেষ ঘটাবলৈ জাতীয়তাবাদী বুদ্ধিজীৱীসকলে বুৰঞ্জীৰ আশ্ৰয় লৈছিল, কাৰণ বুৰঞ্জীৰ অধ্যয়নৰ অবিহনে এটা জাতিৰ মাজত আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় জাগি নুঠে। আত্মপৰিচয়ৰ চেতনা জাগি উঠিলেই এটা জাতি বা জনগোষ্ঠীয়ে নিজৰ ঐতিহ্যৰ পৰিচয় দিবলৈ এখন বুৰঞ্জী বিচাৰে। চুতীয়াসকলেও তেওঁলোকৰ মাজত আত্মপৰিচয়ৰ চেতনা জাগৃত হোৱাৰ প্ৰাতঃকালতে এখন বুৰঞ্জীৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল, যিহেতু তেওঁলোকৰ তেনে এখন প্ৰামাণ্য গ্ৰন্থ নাছিল। এই ধাৰণা বাস্তৱত ৰূপায়িত কৰাৰ এটা প্ৰচেষ্টা ১৮ শতিকাৰ শেষভাগ বা ১৯ শতিকাৰ আৰম্ভনিৰপৰাই চলিছিল। এই কালছোৱাতে কোনো এক সম্ভ্ৰান্ত চুতীয়া লোকে মধ্যযুগৰ চুতীয়া ৰাজবংশৰ এখন চমু বুৰঞ্জী প্ৰণয়ন কৰিছিল। এই বুৰঞ্জীখনকে উইলিয়াম ৰবিনচন্ চাহাবে **চুটিয়া ৰজাৰ বংসাৱলি** নামেৰে **অৰুনোদই**ত প্ৰকাশ কৰিছিল আৰু এই একেখন পুথিকে সূৰ্য্য কুমাৰ ভূঞাই তেওঁৰ সম্পাদিত **দেওধাই অসম বুৰঞ্জী**ত 'চুটিয়াৰ কথা' নামেৰে সন্নিবিষ্ট কৰিছে। বুৰঞ্জীখনত আখ্যান আৰু ঐতিহাসিক তথ্য মিহলি হৈ থাকিলেও মধ্য যুগৰ চুতীয়া বুৰঞ্জী এখন ৰচনাৰ প্ৰচেষ্টাত এইখন বুৰঞ্জীকে মূল আধাৰ ৰূপে গণ্য কৰিব পাৰি। সম্ভৱতঃ সেই সময়ছোৱাতে প্ৰাচীন যুগৰ চুতীয়া ৰাজবংশৰ বুৰঞ্জী এখনো ৰচনা কৰা হৈছিল। মূল বুৰঞ্জীখন উদ্ধাৰ হোৱা নাই যদিও নেই ইলিয়াচে (Ney Elias) তেওঁৰ **The History of the Shans in Upper Burma and Western Yunnan** নামৰ গ্ৰন্থত এই বুৰঞ্জীখনৰ ওপৰত যুগুতোৱা টোকাটো সন্নিবিষ্ট কৰিছে। এই টোকাটোৱে প্ৰাচীন চুতীয়া ৰাজ্যখনৰ অৱস্থিতিৰ প্ৰমাণ দাঙি ধৰে।

চুতীয়াসকলৰ অতীত আৰু বৰ্তমান চকুৰ আগত ৰাখি এই জাতিটোৰ বিষয়ে এটা চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰথম প্ৰয়াস কৰিছিল চুতীয়াসকলৰ এগৰাকী স্বনামধন্য ব্যক্তি ভ্ৰমৰ চন্দ্ৰ শইকীয়াই ১৯২২ খ্ৰীঃত প্ৰকাশিত তেখেতৰ **চুতীয়া জাতি** নামৰ পুস্তিকা খনত। ইয়াৰ পিছত চুতীয়াসকলৰ আন এগৰাকী অগ্ৰণী ব্যক্তি স্বাধীনতা সংগ্ৰামী গোপীনাথ বৰদলৈয়ে পূৰ্বে উল্লেখিত **চুটিয়া ৰজাৰ বংসাৱলি**ৰ ওপৰত নিৰ্ভৰ কৰি চুতীয়া বুৰঞ্জী এখন লিখাৰ এটা প্ৰচেষ্টা চলাইছিল, ১৯৩২ খ্ৰীঃমানত। পূৰ্বোক্ত 'চুটিয়া ৰজাৰ বংসাৱলি'ত নথকা কেইবাটাও সম্ভেদ তেখেতে প্ৰচলিত জনশ্ৰুতিৰ পৰা সংগ্ৰহ

কৰি চৰা নাও খেললৈ আমন্ত্ৰণ কৰি নিছিল আৰু চাফ্ৰাই নৈত অনুষ্ঠিত নাও খেলত চক্ৰান্তৰে হত্যা কৰিছিল।[৫৯] পদ্মনাথ গোহাঁঞি বৰুৱাৰ মতে স্বৰ্গদেউ চুতুফাই ৰাজ্য বিস্তাৰৰ মনেৰে চুতীয়া ৰাজ্য আক্ৰমণ কৰিছিলগৈ। কিন্তু ডাঙৰীয়াসকলৰ সহযোগ নথকাত এই কাৰ্যত কৃতকাৰ্য হ'ব নোৱাৰিলে। শেষত তেওঁ চুতীয়া ৰজাৰে সৈতে 'সাজি-সখি' বন্ধাই মিত্ৰতা কৰিবলৈ বাধ্য হয় আৰু সেই চুতীয়া ৰজায়েই স্বৰ্গদেউক চাফ্ৰাই নৈত চ'ৰা নাও খেলাবলৈ নি ১৩৭৬ খ্ৰীঃত চল কৰি বধ কৰে।[৬০] **দেওধাই অসম বুৰঞ্জীৰ** মতে, চুতুফাক চুতীয়া ৰজাই চল কৰি ভতৰা গৰুৰে গৰকাই মাৰিলে।[৬১]

গেইটে কয় যে স্বৰ্গদেউ চুতুফাৰ দিনত আহোম-চুতীয়াৰ মাজত সঘনাই বিবাদ হৈছিল। অৱশেষত ১৩৭৬ খ্ৰীঃত চুতীয়া ৰজা আহি চুতুফাক চপাগুৰিত লগ ধৰেহি আৰু মিত্ৰতাৰ ভাও ধৰি তেওঁক চাফ্ৰাই নদীত চ'ৰা নাও খেল চাবলৈ নিমন্ত্ৰণ জনায়। সেই অনুসৰি চুতুফা চুতীয়া ৰাজ্যলৈ যোৱাত তেওঁৰ কোনো গা-ৰখীয়া নোহোৱাকৈ চুতীয়া ৰজাই নিজৰ নাৱত তুলি লয় আৰু চক্ৰান্ত কৰি হত্যা কৰে।[৬২]

সৰ্বেশ্বৰ বৰুৱাই চুতুফাৰ মৃত্যু পৰিকল্পিত নাছিল বুলি লিখিছে - "আহোম ৰজা চুতুফাৰ চফ্ৰাই নৈত সদিয়াৰ চুতীয়া ৰজাৰে সৈতে নাও খেলত প্ৰাণ নাশ হোৱাত চুতীয়া ৰজাজনৰ গাত বিশ্বাসঘাতকতাৰ কলঙ্ক আৰোপিত হয়।[৬৩] নন্দীশ্বৰৰ লগত চুতুফাৰ মিত্ৰতা কোনো সংঘৰ্ষৰ পৰিণতি নাছিল। পাঁচ বছৰ কাল ৰজা বিহীন হৈ থকা ৰাজপাট[৬৪] পাত্ৰমন্ত্ৰীৰ কৃপাত অধিকাৰ কৰা চুতুফাই নন্দীশ্বৰৰ দৰে প্ৰতাপী ৰজাৰ দ্বাৰা শাসিত চুতীয়া ৰাজ্য আক্ৰমণ কৰিছিল বুলি মনে নধৰে। ইয়াৰ উপৰিও উপৰুক্ত ঘটনাৰ তৎকালীন সময়ছোৱাত দুই ৰাজতন্ত্ৰৰ মাজত কিবা বিবাদ হোৱাৰ কথা কোনো বুৰঞ্জীত উল্লেখ নাই। আনহাতে তদৰধি পৰৱৰ্তী চাৰিটা বছৰ আহোম ৰাজসিংহাসন খালী ৰাখি পুনৰবাৰ পাত্ৰমন্ত্ৰীয়ে ৰাজ্য শাসন কৰিছিল।[৬৫] পৰৱৰ্ত্তী স্বৰ্গদেৱ ত্যাওখামথিয়েও নন্দীশ্বৰ শাসিত চুতীয়া ৰাজ্য জয় কৰা নাছিল। কিয়নো এইজনা স্বৰ্গদেৱৰ ৰাজত্ব কালত চুতীয়া ৰাজ্য খণ্ডৰ অন্তৰ্ভূক্তিৰে আহোম ৰাজ্যৰ পৰিসৰ বৃদ্ধি হোৱাৰ কথা কোনো বুৰঞ্জীয়ে কোৱা নাই। তদুপৰি কেইবাখনো তথ্যসমৃদ্ধ বুৰঞ্জীত[৬৬] এই আক্ৰমণৰ উল্লেখ নাই।

---

[৫৯] তামুলীফুকন, **অসম বুৰঞ্জীৰ সাৰ**, (সম্পাদিত) প্ৰতাপচন্দ্ৰ চৌধুৰী, গুৱাহাটী, ১৯৬৪, পৃঃ ১২; **আহোম বুৰঞ্জী**, পৃঃ ৪৯।

[৬০] **আসামৰ বুৰঞ্জী**, পৃঃ ৪৩; **সাতসৰী অসম বুৰঞ্জী**, (সম্পাদিত) সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী, ১৯৬৪, পৃঃ ৯, ৩২।

[৬১] পৃঃ ১০৪।

[৬২] গেইট, পৃঃ ৮১।

[৬৩] পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, চতুৰ্থ সংখ্যা, পঞ্চম বছৰ, ফেব্ৰুৱাৰী, ১৯৬৫, পৃঃ ৩০০।

[৬৪] **আহোম বুৰঞ্জী**, পৃঃ ৪৮; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১০ আৰু ১০৪।

[৬৫] তামুলীফুকন, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২; **আহোম বুৰঞ্জী**, পৃঃ ৪৯।

[৬৬] **দেওধাই অসম বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী**।



**সত্যনাৰায়ণ/কৰ্মধ্বজপাল (১৩৮০-১৪০০ খ্ৰীঃ) ঃ**

নন্দীশ্বৰৰ পিছত তেওঁৰ পুত্ৰ সত্যনাৰায়ণ ওৰফে কৰ্মধ্বজপাল আনুমানিক ১৩৮০ খ্ৰীঃত ৰজা হয়। অদ্যপৰিমিত উদ্ধাৰ হোৱা চুতীয়া ৰজাসকলৰ প্ৰদত্ত ভূমিদানৰ তামৰ ফলিবিলাকৰ ভিতৰত ঘিলামৰা-ধেনুখনা ভূমিদানৰ তামৰ ফলি আৰু বৰমূৰ্ত্তিয়া-বিল ভূমিদানৰ তামৰ ফলি দুখন সত্যনাৰায়ণ ৰজাই দান কৰা ফলিৰ নৱীকৰণ ৰূপ (১৩১৪ শক/ ১৩৯২ খ্ৰীঃ)। প্ৰথমখন ফলিত লিপিবদ্ধ হৈছে যে 'যশস্বী পূণ্যকৰ্মা সধয়াপুৰীশ্বৰ (সধয়াপতি) নীতিশীল মহাৰাজা নন্দীৰ সদায় সৎকৰ্ম সম্পাদিনী মহিষী দৈৱকীৰ গৰ্ভত সুৰৰিপু বংশত (সুৰ-ৰিপু-বংশ্বাংশ-ভূতো) সত্যনাৰায়ণে জন্ম গ্ৰহণ কৰে। তেওঁ সূৰ্য্যৰ দৰে চাৰিওফালৰ অন্ধকাৰ আঁতৰাই জ্যোতি বিতৰণ আৰু শত্ৰুসমূহক পৰাস্ত কৰিছিল। গুণত তেওঁ সত্যনাৰায়ণ দেৱতাৰ তুল্য আছিল।' এইখন ফলিৰ মতে তেওঁ কাশ্যপ গোত্ৰীয় শঙ্কৰীষন দ্বিজৰ পৌত্ৰ, উমাপতিৰ পুত্ৰ দ্বিজনাৰায়ণক স্বৰ্গপ্ৰাপ্তিৰ উদ্দেশ্যে ধৱলী নদী (ঢল নৈ) ৰ পাৰত ৬০০ পুটি (পুৰা) মাটি দান কৰিছিল আৰু লগতে বৃত্তিকাৰ মানুহো দিছিল। এই দানৰ ভূমি লুদুমিমাৰী নামে অঞ্চলত আছিল। ইয়াৰ উপৰি 'দুই কুল্যাবল' জোখৰ নৌ স্থলীও দিয়া হৈছিল। দান দিয়া ভূমিখণ্ডৰ পূবে আছিল সৰাতহ আলি আৰু পশ্চিমে আছিল দণ্ডিকাদুৱাৰ। ইয়াৰ দক্ষিণ আৰু উত্তৰ সীমাৰ বিৱৰণ মচ খাই গ'ল। বৰমূৰ্ত্তিয়া বিল তাম্ৰপত্ৰ মতে ৰজা সত্যনাৰায়ণে গৌৰাত্ৰ (গৌৰাত্ৰেয়) গোত্ৰৰ ব্ৰাহ্মণ ৰবিদেৱৰ পুত্ৰ শ্ৰীবাসুদেৱক সেই একে শকতে (১৩১৪) ২০০ পুটি (পুৰা) ভূমি দান কৰিছিল। দান দিয়া ভূমিৰ পূবে এজোপা শিলিখা গছ, দক্ষিণে এজোপা জৰীগছ, উত্তৰে এজোপা বটবৃক্ষ আছিল। পশ্চিমফালৰ সীমা স্পষ্ট নহয়। এই ভূমি দানৰ স্থান সম্ভৱতঃ নেত্ৰবাত্ৰা নামৰ এখন গাঁও। এইখন ফলিত সত্যনাৰায়ণক এজন প্ৰখ্যাত প্ৰজাপালক হিচাপে গুণানুকীৰ্ত্তন কৰি এইবুলি কোৱা হৈছে যে 'তেওঁ আছিল সকলো নীতিৰে আধাৰস্বৰূপ, ভাৰ-বহনকাৰী, প্ৰখ্যাত কীৰ্তি, কৰ্ণসম দাতা, বীৰত্বৰ আবাসস্বৰূপ আৰু দীন-দাৰিদ্ৰৰ সদা সৰ্বদা অনুকুল।'[৬৭] ফলিৰ এই বিৱৰণৰপৰা স্পষ্ট হয় যে সত্যনাৰায়ণ এজন নীতিপৰায়ণ ৰজা আছিল আৰু প্ৰজাৰ কল্যাণাৰ্থে অহোপুৰুষাৰ্থ কৰিছিল। বিভিন্ন শত্ৰু দমন কৰি তেওঁ ৰাজ্যত শান্তি-শৃঙ্খলা বজাই ৰাখিছিল। তেওঁক 'কৰ্ণসম দাতা আৰু দীন-দৰিদ্ৰৰ সদা-সবৰ্দা অনুকুল' বুলি কোৱালৈ চাই এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে তেওঁ প্ৰজাৰঞ্জক আৰু দয়ালু ৰজা আছিল।

এই ফলিকেইখন উদ্ধাৰ হোৱা স্থান আৰু দান দিয়া ভূমিৰ অৱস্থানৰ ওপৰত ভিত্তি কৰি এই কথা ক'ব পাৰি যে, এই ৰজাসকলৰ ৰাজ্যই লক্ষীমপুৰ জিলাৰ বৰ্তমান ধেমাজি, মাছখোৱা আৰু গোহাঁই গাঁও মৌজাৰ অঞ্চল সামৰি লৈছিল আৰু সোৱণশিৰিৰ পশ্চিমেও উত্তৰ লক্ষীমপুৰ নগৰৰ ওচৰলৈকে বিস্তাৰ লাভ কৰিছিল। সদিয়াৰ ফালে

---

[৬৭] **প্ৰাচ্য শাসনাবলী**, পৃঃ ৮২-৮৫, ৯৩-৯৬; **প্ৰকাশ**, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, ১৯৭৬, জুলাই, পৃঃ ৮৫-৯৩।

ৰাজধানীলৈ নিশ্চয় ইয়াতকৈ আহল-বহল এটা ডাঙৰ অঞ্চলত সেই ৰাজ্য বিস্তৃত আছিল তাত সন্দেহ নাই।[৬৮] ধেনুখনা-ঘিলামৰা ফলিখনত বিভিন্ন গোত্ৰৰ অনেক ব্ৰাহ্মণৰ নাম থকালৈ চাই সেই কালছোৱাত চুতীয়া ৰাজ্যত আৰ্য সংস্কৃতি বহুল ভাৱে প্ৰচাৰ হৈছিল যেন অনুমান হয়। ঘিলামৰা-ধেনুখনা ফলিখনত দানৰ ভূমিৰ লগতে 'দুই কুণ্ডাৱল' ভূমি নাও চলাচলৰ বাবে নৈৰ দাঁতিত সংৰক্ষণ ৰখা কথাটোৱে চুতীয়া ৰাজ্যত সেই সময়ত নৌ-বাণিজ্যৰ প্ৰচলন থকাৰ ইঙ্গিত দিয়ে।

উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা সত্ৰত থকা চতুৰ্ভূজ বিষ্ণুমূৰ্ত্তি, ডবা, কাঁহ, পিতলৰ প্ৰায় ২০ কিলোগ্ৰাম ওজনৰ ডাঙৰ জয় ঘণ্টা, শৰাই আৰু কেকোঁৰা দোলা আদি সামগ্ৰীবোৰ সত্যনাৰায়ণ ৰজাৰ দান বুলি সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰী দয়াকৃষ্ণ গোস্বামীদেৱে জানিবলৈ দিয়ে। মিশ্ৰধাতুৰে নিৰ্মিত জয় ঘণ্টাটোৰ ঠাৰিডালৰ মাজভাগত সত্যনাৰায়ণ নামটো খোদিত আছে কিন্তু ইয়াৰ আগে-পিছে থকা আখৰবোৰ আৰু চনটো স্পষ্ট ৰূপত নাই। চনটোৰ প্ৰথম দুটা সংখ্যা '১৩' বুলি ধৰিব পাৰি, কিন্তু পিছৰ দুটা সংখ্যা প্ৰায় মচ খাই গৈছে। সম্ভৱতঃ এই সামগ্ৰীখিনি এজন পূজাৰী ব্ৰাহ্মণক মাটিৰে সৈতে সদিয়াৰ কোনো অঞ্চলত দান দিয়া হৈছিল। পৰৱৰ্তী কালত তাতেই সত্ৰ প্ৰতিস্থা হয়।[৬৯]

**লক্ষ্মীনাৰায়ণ (আনুঃ ১৪০০-১৪২০ খ্ৰীঃ) ঃ**

সত্যনাৰায়ণৰ পিছত তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ আনুঃ ১৪০০ খ্ৰীঃত ৰজা হয়। তেওঁৰ ঘিলামৰা ভূমিদানৰ ফলি (১৩২৩ শক)ৰপৰা জানিব পাৰি যে নিজ বীৰত্বৰে কেইবাজনো ৰজাক বশীভূত কৰি তেওঁলোকৰ ওপৰত অধীশ্বৰ হৈছিল। তেওঁৰ পূৰ্বসুৰীসকলৰ দৰেই লক্ষ্মীনাৰায়ণেও ব্ৰাহ্মণ-সজ্জনক মাটি-বৃত্তি দান কৰি ৰাজ্যত আৰ্য সংস্কৃতি বিস্তাৰত অৰিহণা যোগাইছিল। ফলিখনত 'স্বধয়াপুৰীশ্বৰ' লক্ষ্মীনাৰায়ণে ৰবিদেৱ নামৰ এজন ব্ৰাহ্মণক স্বৰ্ণদীৰ পূবৰ বখনাগ্ৰামত ভূমিদান কৰাৰ কথা উল্লেখ আছে। ফলিখনৰ মতে, ৰবিদেৱৰ পিতৃ হৰি বাসুদেৱৰ পৰম ভক্ত আছিল আৰু ককাক শাণ্ডিল্য গোত্ৰৰ কমলানাভ এজন অতি সত্যবাদী আৰু ৰিপু দমনকাৰী ধাৰ্মিক ব্ৰাহ্মণ আছিল। বখনা গাঁৱত বিষুৱ-সংক্ৰান্তি (ব'হাগ বিহু)ৰ দিনা দান কৰা এই দুশ পুটি (পুৰা) মাটিৰ পূবত আছিল স্বৰ্ণাদী (সোৱনশিৰি), দক্ষিণত পকামাৰি (বিল), পশ্চিমত এজোপা আহঁত/অশ্বথ গছ আৰু উত্তৰত চম্পাৱতী নামৰ এখন গাঁও বা নৈ। এই ভূমিৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল পকা নামৰ এজন ব্যক্তিয়ে আৰু ফলিখন খোদিত কৰিছিল ডনক বা

৬৮ সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, পঞ্চম বছৰ, তৃতীয় সংখ্যা, জানুৱাৰী, ১৯৬৫, পৃঃ ২১২।

৬৯ ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীদয়াকৃষ্ণ গোস্বামীয়ে দিয়া বিৱৰণ মতে বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তিটো অতীতত ৰুক্মিণীয়ে পূজা-সেৱা কৰা মূৰ্তি। মূৰ্তিটো প্ৰথমে কুণ্ডিল নগৰত আছিল। চুতীয়া ৰাজ্যৰ পতনৰ পিছত মূৰ্তিটো আনি ধেনুখনাৰ ওচৰৰ ঘাৰমৰাত স্থাপন কৰা হৈছিল। মানৰ আক্ৰমণৰ সময়ত ঘাৰমৰাৰ পৰা উত্তৰ লক্ষীমপুৰলৈ ইয়াক স্থানান্তৰিত কৰা হয়।



কানক নামৰ এজন লোকে।[৭০]

অসমৰ ভূতপূৰ্ব ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামৰ উপৰিও আন কেইবাগৰাকী অনুসন্ধিৎসু লোকে[৭১] ভীষ্মক নগৰ আৰু ৰুক্মিণী নগৰ অঞ্চলৰ পৰা বহুতো চিত্ৰাঙ্কিত ইটা সংগ্ৰহ কৰিছিল ইয়াৰে এচটা ইটাত এটা ময়ুৰৰ মুখত এটা সাপ ওলমি থকা চিত্ৰ খোদিত আছে। এই ইটা চটা দীঘে ১০১/২ ইঞ্চি (প্ৰায় ২৭ চে.মি.), বহলে ৮১/২ ইঞ্চি (প্ৰায় ২২ চে.মি.) আৰু ২১/৪ ইঞ্চি (৬ চে.মি.) ডাঠ। ইয়াৰ ওজন ১৩১/২ সেৰ (প্ৰায় ১২১/২ কি.গ্ৰা.)। একে জোখৰ আন এচটা ইটাত দুটা ময়ুৰে পৰস্পৰে আকোঁৱালি থকা অৱস্থাৰ চিত্ৰ আছে।[৭২] আন এচটা দীঘে ৬ ইঞ্চি (প্ৰায় ১৫ চে.মি.), বহলে ৫ ইঞ্চি (প্ৰায় ১২.২ চে.মি.) আৰু ১১/২ ইঞ্চি (প্ৰায় ৪ চে.মি.) ডাঠ ইটাত এফালে এটা সিংহই এটা ঘোঁৰাৰ লগত যুঁজি থকা চিত্ৰ খোদিত আছে আৰু ইয়াৰ চাৰিওফালে পুৰণি অসমীয়া লিপিৰে চাৰি শাৰী কথা লিখা আছে। কিছুমান আখৰ ভাঙি-চিগি ধৰিব নোৱাৰা হৈছে যদিও শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ ৰজাৰ নামটো স্পষ্টকৈ ধৰিব পৰা হৈ আছে।[৭৩] ময়ুৰ প্ৰাচীন চুতীয়া ৰাজ্যৰ ৰাজ পতাকাৰ প্ৰতীক (Royal Emblem) বুলি জনা যায়।[৭৪] সম্ভৱতঃ প্ৰাচীন চুতীয়া ৰজাসকলৰ ৰাজত্ব কালতে নিৰ্মিত এই নগৰ কেইখন শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ ৰজাই পুনৰ নিৰ্মাণ অথবা মেৰামতি কৰাইছিল। শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ ৰজাৰ নাম খোদিত ইটাই এই সত্যকে প্ৰতিপন্ন কৰে। ৰাজ্যপালগৰাকীয়ে সংগ্ৰহ কৰা ইটাবিলাকত যুঁজাৰু নাৱৰীয়া, ব্ৰাহ্মণ-ব্ৰাহ্মণী আদিৰো চিত্ৰ আছে।[৭৫] Dr. T. Bloch-য়ে যোল্ল চটা চিত্ৰাঙ্কিত ইটা উদ্ধাৰ কৰি তাৰ আলোকচিত্ৰ লৈছিল।[৭৬] ৰাজ্যপাল গৰাকীৰ মতে লক্ষ্মীনাৰায়ণ ৰজাই তেওঁৰ ৰাজত্ব কালত কেইবাটাও দূৰ্গ নিৰ্মাণ কৰাইছিল আৰু পিছৰ মানুহে ভুলকৈ ইয়াক ৰুক্মিণী নগৰ, ভীষ্মক নগৰৰ লগত সাঙুৰি লৈছে।[৭৭] পিছে ৰাজ্যপালগৰাকীৰ এই উক্তি গ্ৰহণযোগ্য নহয়। কিয়নো এই অঞ্চলত উদ্ধাৰ হোৱা ম'ৰাচৰাই খোদিত ইটাই এই নগৰকেইখন প্ৰাচীন চুতীয়া ৰাজ্যৰ কোনোবা এজন ৰজাইহে নিৰ্মাণ কৰাৰ সাক্ষী বহন কৰিছে। লক্ষ্মীনাৰায়ণ ৰজাৰ ৰাজত্ব কালত হাবুং অঞ্চল আৰু বৰ্ত্তমানৰ উত্তৰ লক্ষীমপুৰ

৭০ প্ৰাচ্য শাসনাৱলী, পৃঃ১৮৯; সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**,পঞ্চম বছৰ, তৃতীয় সংখ্যা,১৯৬৫, পৃঃ ২২১

৭১ Dr. T. Bloch, ডম্বৰুধৰ দেউৰী।

৭২ সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, পঞ্চম বছৰ, তৃতীয় সংখ্যা, ১৯৬৫, পৃঃ ২১২।

৭৩ **Stray Leaves**, Shillong, pp.8-9; মহেশ্বৰ নেওগ, 'সদিয়া-চেপাখোৱা তাম্ৰ-পত্ৰ, ১৩৫০ শক, সংখ্যা, পৃঃ ৯৫ ।

৭৪ সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, পৃঃ ২১২।

৭৫ ৰাজমোহন নাথ, 'চুতীয়া জাতিৰ পুৰাতত্ব', **সোণাগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন. অসম. ২০০২, পৃঃ ৫৪।

৭৬ ডম্বৰুধৰ দেউৰী, **দেউৰী-সংস্কৃতি**, পৃঃ ৬৬।

৭৭ **Stray Leaves**, pp. 8-9; মহেশ্বৰ নেওগ, পূৰ্বোক্ত প্ৰবন্ধত উদ্ধৃত; সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, জানুৱাৰী, ১৯৬৫, পৃঃ ২১২।

নগৰৰ সমীপৱৰ্ত্তী পোকামাৰী বিল আৰু ধল আৰু ঘাগৰ নৈৰ মাজৰ অঞ্চল চুতীয়া ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। বৰ্ত্তমান উত্তৰ লক্ষীমপুৰ নগৰখন তেওঁৰ ৰাজত্ব কালতে প্ৰান্তীয় নগৰ হিচাবে পাতি নিজৰ নামানুসাৰে ইয়াক নামকৰণ কৰিছিল[৭৮] বুলি জনা যায়।

ৰাজমোহন নাথে তেওঁৰ এটা প্ৰবন্ধত ১২২৫ খ্ৰীঃৰ পৰা ১৪ শতিকাৰ মাজ ভাগলৈকে সদিয়াৰ পৰা উত্তৰ লক্ষীমপুৰলৈকে এই বিস্তীৰ্ণ অঞ্চলত কলিতাসকলৰ ৰাজ্য এখন আছিল বুলি লিখিছে। তেওঁ নন্দীশ্বৰ, সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণক কলিতা ৰজা বুলি কৈছে। তেওঁ আৰু লিখিছে যে, মূৰ পৰ্যটক ইবন বটুটাই এই ৰাজ্যখনত চলা বেহা বেপাৰৰ এখন উজ্জ্বল ছবি আঁকি গৈছে। কিন্তু নাথদেৱে উল্লেখ কৰা কালছোৱাত এই অঞ্চলত চুতীয়া ৰজা শাসিত ৰাজ্য এখনহে থকাটো ঐতিহাসিক সত্য হোৱাত ইবন বটুটাই আঁকা উজ্জ্বল ছবিখন চুতীয়া ৰাজ্যৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়। চুতীয়া ৰজাৰ ভূমিদানৰ ফলিত নৌকাঘাটৰ বাবে নৈৰ পাৰত নিৰ্দিষ্ট পৰিমাণৰ ভূমি (দুই কুণ্ডাৱল)[৭৯] সংৰক্ষিত ৰখা বুলি লিপিবদ্ধ কৰিছে। এই কাৰ্যই ইবন বটুটাই আঁকা চুতীয়া ৰাজ্যত চলা উন্নত বাণিজ্যিক ছবিখনক অধিক উজ্জ্বল কৰাৰ উপৰিও এই ৰাজ্যত চলা উন্নতমানৰ নৌ-বাণিজ্যৰ ইঙ্গিত দিছে।

লক্ষ্মীনাৰায়ণৰ ৰাজত্ব কালত কামৰূপ-কমতা ৰাজ্যৰ পৰিবেশ অস্থিৰ হৈ পৰিছিল। বাৰভূঞা আদি নতুন নতুন সৰু-বৰ শক্তিৰ উদ্ভৱ ঘটিছিল। পৰ্বতীয়া জাতিসকলেও মাজে মাজে উপদ্ৰৱ কৰিছিল। লক্ষ্মীনাৰায়ণে সেইহেতু ৰাজ্যৰ প্ৰতিৰক্ষাৰ অৰ্থে "সদিয়াৰ উত্তৰ আৰু পূবে পাৰ্বত্য অঞ্চলত কোঠ আৰু দুৰ্গ নিৰ্মাণ কৰিছিল'।[৮০] জনশ্ৰুতি মতে তেওঁ কেইবাটাও পুখুৰী খন্দাইছিল আৰু মধুপুৰ, গোপালপুৰ আদি কেইবাখনো নগৰ স্থাপন কৰিছিল।

**ধৰ্মনাৰায়ণ (আনুঃ ১৪২০-১৪৪৫ খ্ৰীঃ) ঃ**

লক্ষ্মীনাৰায়ণৰ পিছত তেওঁৰ ভ্ৰাতৃ ধৰ্মনাৰায়ণ আনুঃ ১৪২০ খ্ৰীঃত ৰজা হয়। বৰমূৰ্ত্তিয়া বিল ভূমিদানৰ ফলিত তেওঁক বিয়ুৎসু (?)[৮১] বংশসম্ভূত শত্ৰু বিজেতা ৰাজকোঁৱৰ আৰু শাসক যুৱৰাজ বুলি চিনাকি কৰা হৈছে। ধৰ্মনাৰায়ণ তেওঁৰ পিতৃ সদৃশ অতি ক্ষমতাশালী ৰজা আছিল। শত্ৰুবিলাকে তেওঁক সদা সৰ্বদা সমীহ কৰি চলিছিল। তেওঁ

[৭৮] সৰ্বেশ্বৰ বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ, **মনিদীপ**, ফেব্ৰুৱাৰী, ১৯৬৫, পৃঃ ৩০০।

[৭৯] ঐ, পৃঃ ৩০১-৩০২।

[৮০] ঐ, পৃঃ ৩০০।

[৮১] মহেশ্বৰ নেওগ, 'বৰমূৰ্তিয়া-বিল তাম্ৰপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, ১৯৭৬, জুলাই সংখ্যা, পৃঃ ৯২ -ত 'এই শব্দটোৰ অৰ্থ বৰ্তমানেও উলিয়াব পৰা হোৱা নাই' বুলি লিখিছে। নিত্যানন্দ গগৈয়ে 'সদিয়াধিপতি ধীৰ নাৰায়ণৰ তাম্ৰপত্ৰ ১৪৪৪ শক', **সোণাগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, ২০০২, পৃঃ ১০৩ -ত বিয়ুৎস্বৰ অৰ্থ অৰ্জুন বুলি কৈছে। শব্দটো বিয়ুৎস্ব/বিয়ুৎসু নহৈ যিযুৎসু/যুযুৎসু হোৱা হ'লে ই ধৃতৰাষ্ট্ৰৰ এক পুত্ৰক বুজালেহেঁতেন।



পিতৃ সত্যনাৰায়ণে ১৩১৪ শকত দান কৰা ভূমি দানৰ ফলি এখন (পূৰ্ব্বানুপ্ৰদত্ত) নবীকৰণ কৰি গৌতমাত্ৰেয় গোত্ৰৰ ব্ৰাহ্মণ কামদেৱৰ পৌত্ৰ ৰবিদেৱৰ পুত্ৰ সৰ্বগুণ সম্পন্ন শ্ৰীবাসুদেৱক দান কৰিছিল। বৰমূৰ্তিয়াৰ-বিল অঞ্চলত উদ্ধাৰ হোৱা এই ফলিখনত পূৰ্বৰ ৰজাই দিয়া তাম্ৰপত্ৰ মতে, '... দুশ পৰিমানৰ ভূমি দানপত্ৰ কৰি দিছে।' দানৰ স্থান কোনোবা নেত্ৰবাটা গাঁৱত থকাৰ অনুমান হয়। দান দিয়া ভূমিৰ সীমাত পূবে শিলিখা গছ, দক্ষিণে জৰী গছ, পশ্চিমে বাৰলা (অনুমান বোৱাল হ'ব পাৰে) গছ আৰু উত্তৰে বটবৃক্ষ (বৰ গছ)।[৮২] ফলিখনত নবীকৰণৰ তাৰিখ দিয়া নাই। এই ৰজাৰ আদেশত দিয়া আন এখন ভূমিদানৰ ফলি সদিয়া-চেপাখোৱা অঞ্চলত উদ্ধাৰ হৈছে। এই ফলিখনৰ তাৰিখ ১৩৫০ শক/ ১৪২৮ খ্ৰীঃ। এইখন ফলিত হাবুঙৰ[৮৩] শাসনকৰ্তা শ্ৰীবৃহৎপাত্ৰই[৮৪] ধৰ্মনাৰায়ণ ৰজাৰ আদেশত শাস্ত্ৰ বিশাৰদ ব্ৰাহ্মণ পণ্ডিত পুৰন্দৰ মিত্ৰক ৪০০ ভূ-পুটি (পূৰা) পৰিমানৰ ভূমি হাবুং অঞ্চলত দান কৰিছিল।[৮৫] এই ফলিয়ে হাবুং অঞ্চল চুতীয়া ৰাজ্যৰ অন্তৰ্ভূক্ত থকাটো নিশ্চিত কৰিছে। এই ফলি ১৩৫০ শকৰ আহাৰ মাহৰ দহ তাৰিখে দান কৰা হৈছিল। এই দানৰ লগত ষাঠিজন ব্ৰাহ্মণো (পাইকৰূপে) দিয়া হৈছিল। দান দিয়া ভূমিৰ সীমা পূবে বৰগছ, দক্ষিণত মাৎসনিস্তক (?), পশ্চিমত মদকা বস্তু (?) আৰু উত্তৰত প্ৰধান আলি আছিল। ফলিত পুৰন্দৰৰ সম্পৰ্কীয় কেইবাগৰাকী ব্ৰাহ্মণৰ নাম উল্লেখ আছে। ফলিত যিজন ৰজাই এই শাসন প্ৰতিপালন কৰিব তেওঁ চিৰকাল স্বৰ্গত আৰু যি এই কীৰ্তিৰ বিলোপ সাধন কৰিব তেওঁ চিৰকাল অক্ষয় নৰকত বাস কৰিব বুলি ভৱিষ্যতে হ'ব লগা ৰজাসকলক সকিয়াই দিছে।[৮৬] ধৰ্মনাৰায়ণ দেৱী অনুৰক্ত আছিল। বৃদ্ধ বয়সত জ্যেষ্ঠ পুত্ৰ মুক্তাধৰ্মনাৰায়ণৰ[৮৭] তত্বাৱধানত ১৩৬৪ শক (১৪৪২ খ্ৰীঃ)ত তাম্ৰেশ্বৰী (দিক্কৰবাসিনী) দেৱীৰ মন্দিৰৰ বাহিৰৰ প্ৰাচীৰ ইটাৰে নিৰ্মাণ কৰাইছিল।[৮৮]

**প্ৰত্যক্ষ নাৰায়ণ (আনুঃ ১৪৫৫-১৪৬৫ খ্ৰীঃ), যশনাৰায়ণ/ যমনাৰায়ণ/যমকাদ নাৰায়ণ (আনুঃ ১৪৬৫-১৪৮০ খ্ৰীঃ), পুৰন্দৰ নাৰায়ণ/ পুৰন্দৰধ্বজপাল (আনুঃ ১৪৮০-১৫০০ খ্ৰীঃ) ঃ**

[৮২] মহেশ্বৰ নেওগ, 'বৰমূৰ্তিয়া-বিল তাম্ৰপত্ৰ ১৩১৪ শক', **প্ৰকাশ**, ২য় বছৰ, ১৯৭৬, জুলাই, পৃঃ ৮৫-৯৩।

[৮৩] 'বৰ্তমান উত্তৰ লক্ষীমপুৰৰ সোৱণশিৰি অঞ্চলক কেন্দ্ৰ কৰি প্ৰদেশ বিশেষ', মহেশ্বৰ নেওগ, **সংজ্ঞা**, দ্বিতীয় সংখ্যা, পৃঃ ৯৪।

[৮৪] হাবুঙৰ অধিপতিৰ নাম বা বিষয়গত উপাধি।

[৮৫] মহেশ্বৰ নেওগ, 'সদিয়া-চেপাখোৱা তাম্ৰ-পত্ৰ ১৩৫০ শক', **সংজ্ঞা**, দ্বিতীয় সংখ্যা, পৃঃ ৯১-১০১।

[৮৬] ঐ।

[৮৭] মহেশ্বৰ নেওগ, পূৰ্বোক্ত প্ৰবন্ধ এওঁক যুবা-ধৰ্মনাৰায়ণ বুলি চিনাক্ত কৰিছে।

[৮৮] D.C. Sircar, 'Paya Tamreswari (Dikkaravasini) Temple Inscription of Muktadharmanarayana, Saka 1364 (1442 A.D.)', **Journal of Ancient Indian History**, Culcutta, Vol. I, part 1 & 2, 1967-68, pp. 17-19.

আগতে উল্লেখ কৰা হৈছে যে **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুতীয়াৰ কথা' আৰু ব্ৰাউনৰ **দেউৰী-চুতীয়া গ্ৰামাৰ**ত সন্নিবিষ্ট 'অমৃত নাৰায়ণ'ৰ পৰা কেলনাৰে সংগ্ৰহ কৰা 'চুতীয়া বংশাৱলী'ত চুতীয়া ৰাজ্য প্ৰতিষ্ঠাতা বীৰবৰ/বীৰপাল/গায়পালক বাদ দি দহগৰাকী আৰু তেওঁক ধৰি মুঠ এঘাৰ গৰাকী চুতীয়া ৰজাৰ নামহে দিয়া হৈছে। এই তালিকাত - নন্দীনৃপ/ নন্দীশ্বৰ (আনুঃ ১৩৫৫-১৩৭৮ খ্ৰীঃ), লক্ষ্মীনাৰায়ণ (আনুঃ ১৪০০-১৪২০ খ্ৰীঃ), ধৰ্মনাৰায়ণ/ধৰ্মধ্বজপাল (আনুঃ ১৪২০-১৪৪৫ খ্ৰীঃ), প্ৰত্যক্ষনাৰায়ণ (আনুঃ ১৪৪৫-১৪৬৫ খ্ৰীঃ), যশ/যম/যমকাদ/যক্ষ্মাদনাৰায়ণ (আনুঃ ১৪৬৫-১৪৮০ খ্ৰীঃ), পুৰন্দৰনাৰায়ণ/পুৰন্দৰধ্বজপাল (আনুঃ ১৪৮০-১৫০০ খ্ৰীঃ)ৰ নাম নাই। কিন্তু অদ্যাপি উদ্ধাৰ হোৱা চুতীয়া ৰজাসকলৰ প্ৰদত্ত ভূমিদানৰ তামৰ ফলিবিলাকত এই ৰজা কেইজনৰ নাম খোদিত থকাত তেওঁলোক যে চুতীয়া ৰাজ্যৰ ৰজা আছিল এই সত্য প্ৰতিপন্ন হয়।

ঘিলামৰা-ধেনুখনা ভূমিদানৰ ফলি (১৩১৪ শক/১৩৯২ খ্ৰীঃ)য়ে সত্যনাৰায়ণক নন্দীনৃপ বা নন্দীশ্বৰৰ পুত্ৰ বুলি স্পষ্টভাৱে কৈছে ঘিলামৰা ভূমিদান (১৩২৩ শক/১৪০১ খ্ৰীঃ)ৰ ফলিয়ে তেওঁৰ ঠিক পিছতে লক্ষ্মীনাৰায়ণ ৰজা হোৱাটো সাব্যস্ত কৰিছে।[৮৯] সদিয়া-চেপাখোৱা ভূমিদানৰ ফলি (১৩৫০ শক/১৪২৮ খ্ৰীঃ) আৰু পায়া তাম্ৰেশ্বৰী (দিক্কৰবাসিনী) মন্দিৰৰ প্ৰাকাৰ (প্ৰাচীৰ) ফলিয়ে (১৩৬৪ শক/১৪৪২ খ্ৰীঃ)[৯০] লক্ষ্মীনাৰায়ণৰ পৰৱৰ্তী ৰজা ধৰ্ম্মনাৰায়ণ বুলি প্ৰমাণ দিয়ে। ঘিলামৰা-ধেনুখনাত উদ্ধাৰ হোৱা সত্যনাৰায়ণ ৰজাৰ ভূমিদানৰ ফলিৰ নৱীকৰণ ৰূপত আন দুগৰাকী ৰজাৰ নাম আছে। এইখন ফলি দ্বিতীয়বাৰ নৱীকৰণ কৰা ফলি। সত্যনাৰায়ণ ৰজাই ৬০০ পূটি (পুৰা) ভূমি দান দিয়া ফলিখন প্ৰত্যক্ষনাৰায়ণ ৰজাই নৱীকৰণ কৰি আকৌ ৬০০ পূটি ভূমি দান দিছে। এই ফলিখনকে আন এজন ৰজা যশ/যম/যমকাদনাৰায়ণে নৱীকৰণ কৰি নতুনকৈ ২০০ পূটি ভূমি দান কৰিছে।[৯১] ফলিখনত নৱীকৰণৰ তাৰিখ এবাৰো দিয়া হোৱা নাই। এই দুগৰাকী ৰজা চুতীয়া ৰাজবংশৰ বংশলতাত কোন স্থানত হ'ব পাৰে সেই কথা সদিয়াধিপতি ধীৰনাৰায়ণৰ প্ৰদত্ত ভূমি দানৰ ফলিখন (১৪৪৪ শক/১৫২২ খ্ৰীঃ) ঢকুৱাখনা কোঁৱৰ গাঁৱত উদ্ধাৰ হোৱাৰ আগলৈকে সঠিকভাৱে নিৰ্ণয় কৰিব পৰা হোৱা নাছিল। ২০০১ খ্ৰীঃত উদ্ধাৰ হোৱা এই ফলিখনত 'বিযুৎস্ব বংশৰ যন্কাদ/যক্ষ্মাদ নাৰায়ণক' ধীৰনাৰায়ণৰ পিতামহ বুলি পৰিচিত কৰা হৈছে।[৯২] এইগৰাকী ৰজা ঘিলামৰা-ধেনুখনাত উদ্ধাৰ হোৱা ভূমিদানৰ ফলিৰ যশ/যম নাৰায়ণ হোৱাটো অতীব সম্ভৱ। এই

[৮৯] **প্ৰাচ্য শাসনাৱলী**, ভূমিকা, পৃঃ ৮২-৮৫।

[৯০] মহেশ্বৰ নেওগ, পূৰ্বোক্ত আলোচনী; D.C. Sircar, *op. cit.*

[৯১] **প্ৰাচ্য শাসনাৱলী**, ভূমিকা, পৃঃ ৮২-৮৫।

[৯২] নিত্যানন্দ গগৈ, পূৰ্বোক্ত প্ৰবন্ধ, **সোনগিৰি**, স্মৃতিগ্ৰন্থ, ২০০২, পৃঃ ১০১-১০৭।



আলোচনাৰ পৰা নন্দীনৃপৰ পৰৱৰ্তী ৰজাসকল ক্ৰমান্বয়ে সত্যনাৰায়ণ, লক্ষ্মীনাৰায়ণ, ধৰ্মনাৰায়ণ, প্ৰত্যক্ষনাৰায়ণ, যশ/যম/যমকাদনাৰায়ণ/যক্ষ্মাদনাৰায়ণ, পুৰন্দৰনাৰায়ণ আৰু ধীৰনাৰায়ণ হোৱাটো স্পষ্ট হৈ পৰে।

প্ৰত্যক্ষনাৰায়ণ, যশনাৰায়ণ আৰু পুৰন্দৰনাৰায়ণ ৰজাৰ বিষয়ে সবিশেষ জনা নাযায়। ঘিলামৰা-ধেনুখনা ভূমিদানৰ ফলিত প্ৰত্যক্ষনাৰায়ণে ব্যাঘ্ৰমাৰি পথাৰত ৬০০ পূটি ভূমি দান কৰা বুলি লিপিবদ্ধ আছে যদিও এই ভূমিদানৰ তাৰিখ আৰু সত্যনাৰায়ণৰ লগত তেওঁৰ সম্বন্ধৰ বিষয়ে কোনো উল্লেখ নাই। একেখন ফলিৰে শেষৰ ফালে যশ/যমনাৰায়ণে ভাৰ্গবৰ পুত্ৰক দুশ পূটি ভূমি দান দিয়া বুলিও লিপিবদ্ধ আছে। পুৰন্দৰনাৰায়ণৰ 'মেধা-শক্তি-সম্পন্ন পিতৃৰ অনুৰূপ গুণৰ অধিকাৰী আছিল'[৯৩] বুলি ফলিত উল্লেখ থকাৰ ব্যতিৰেকে আন কোনো বিৱৰণ পাবলৈ নাই। উদ্ধাৰ হোৱা ভূমিদানৰ ফলিবিলাকত দান দিয়া ভূমিৰ সঠিক অৱস্থান জনা নাযায়। সম্ভৱতঃ ব্ৰাহ্মণ পণ্ডিত অধ্যুষিত হাবুং অঞ্চলতে এই ভূমি দান দিয়া হৈছিল। এই ভূমিদান কাৰ্যই চুতীয়া ৰজাসকল আৰ্য সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত আৰু এই সংস্কৃতি বিস্তাৰত তেওঁলোকে সক্ৰিয় পোষকতা কৰিছিল বুলি নিশ্চিত হ'ব পৰা যায়।

**সমসাময়িক অসমৰ ৰাজনৈতিক দৃশ্যপট ঃ**

গোলোক নাৰায়ণৰপৰা আৰম্ভ কৰি পুৰন্দৰপালৰ ৰাজত্বৰ শেষলৈকে প্ৰায় ডেৰশ বছৰতকৈ অধিক (আনুঃ ১৩২৫-১৫০০ খ্ৰীঃ) কালছোৱাত অসমৰ ৰাজনৈতিক দৃশ্যপটত কেইবাটাও পৰিবৰ্ত্তন পৰিলক্ষিত হয়। কমতা ৰাজ্যৰ বিভাজনৰ ফলত ভূঞাসকল ক্ৰমান্বয়ে শক্তিশালী হৈ উঠে। আৰিমত্ত নামৰ তেনে এজন ক্ষমতাশালী ভূঞাই ইন্দ্ৰনাৰায়ণক হত্যা কৰি কমতা ৰাজ্য অধিকাৰ কৰে। জনশ্ৰুতিমতে, ইন্দ্ৰনাৰায়ণ আৰিমত্তৰ খুড়াক আছিল। গতিকে পিতৃতুল্য খুড়াকক হত্যা কৰাৰ কাৰণেই জনশ্ৰুতিয়ে তেওঁক পিতৃহত্যাকাৰী বুলি গৰিহণা দিয়ে। আৰিমত্ত বৰ প্ৰতাপী ৰজা আছিল। তেওঁ নামনি অসমৰ সকলো ভূঞাকে পৰাজিত কৰিছিল। তেওঁৰ বিষয়ে অসমত ইমান জনশ্ৰুতি আছে যে শুদ্ধভাৱে তেওঁৰ বংশ পৰিচয় আৰু জীৱন বৃত্তান্ত দাঙি ধৰাটো সহজ নহয়। কলিতা, কছাৰী, তিৱা (লালুং) আদি কেইবাটাও জাতি-জনজাতিয়েই আৰিমত্তক তেওঁলোকৰ ৰজা বুলি ক'বলৈ বিচাৰে। এইসকলৰ ভিতৰত তিৱাসকলৰ মাজতে আৰিমত্তক লৈ আটাইতকৈ বেছি জনশ্ৰুতি আছে। তেনে এটা জনশ্ৰুতি মতে, ৰাজত্বৰ শেষ কালত তেওঁ ৰাজ্যৰ শাসনভাৰ পুত্ৰৰ হাতত গতাই নিজে অৰণ্যবাসী হয়। আৰিমত্তৰ আন এজন পুত্ৰ জোঙাল বলহুৱে নগাঁৱত ৰাজত্ব কৰিছিল। কথিত আছে যে নগাঁৱৰ চহৰী মৌজাৰ জোঙালবলহু গড় তেৱেঁই বন্ধাইছিল। আৰিমত্তৰ পৰৱৰ্তী ৰজাসকলৰ ৰাজত্বকালৰ সবিশেষ বিৱৰণ পাবলৈ নাই। আৰিমত্তৰ উত্তৰাধিকাৰী গজাঙ্কৰ ৰাজত্বকাল

[৯৩] ঐ

(আনুঃ ১৩৮৫-১৪০০ খ্ৰীঃ)ত বঙ্গৰ চুলতান গিয়াছুদ্দিন আজম ছাহে (১৩৯০-১৪০০খ্ৰীঃ) কমতা ৰাজ্য আক্ৰমণ কৰিছিল। একে সময়তে আহোম স্বৰ্গদেৱ চুডাংফা বা বামুণী কোঁৱৰেও (১৩৯৭-১৪০৭খ্ৰীঃ) কমতা ৰাজ্য আক্ৰমণ কৰাৰ যো-জা কৰিছিল। আহোম ৰাজ্যৰ ত্যাওচুলাই নামৰ এজন বিদ্ৰোহীক আশ্ৰয় দিয়াৰ কাৰণেই আহোমসকলে এই পৰিকল্পনা কৰিবলগীয়া হৈছিল। কিন্তু আহোম সেনাবাহিনীয়ে কমতা ৰাজ্য আক্ৰমণ কৰাৰ আগতেই কমতা ৰজাই নিজৰ জীয়েক ভাজনী কুঁৱৰীক আহোম ৰজালৈ আগবঢ়াই মিত্ৰতা স্থাপন কৰে। ইয়াৰ পিছত সম্মিলিত আহোম আৰু কমতা বাহিনীয়ে কমতা আক্ৰমণকাৰী আজম ছাহৰ নেতৃত্বাধীন সৈন্য বাহিনীক পৰাস্ত কৰি কমতা ৰাজ্যৰ পশ্চিমসীমা কৰতোৱা নদী পাৰ কৰি খেদি পঠায়।

আৰিমত্তৰ বংশৰ শেষ ৰজা মৃগাঙ্ক (আনুঃ ১৪১৩-১৪৪৩ খ্ৰীঃ) সন্তানহীন আছিল। তেওঁৰ মৃতুৰ পিছত কমতা ৰাজ্যৰ সিংহাসন নীলধ্বজ নামে এজন ভূঞাই অধিকাৰ কৰি খান বা খেন বংশ প্ৰতিষ্ঠা কৰিছিল।

নীলধ্বজৰ পুত্ৰ চক্ৰধ্বজৰ ৰাজত্বকালত বঙ্গৰ চুলতান ৰুকুনুদ্দিন বৰ্বক ছাহে (১৪৫৯-১৪৭৬ খ্ৰীঃ) কমতা ৰাজ্য আক্ৰমণ কৰে। তেওঁৰ এই আক্ৰমণ সফল হোৱা নাছিল। কিন্তু তেওঁৰ সেনাপতি ইছমাইল ঘাঁজীয়ে কমতাৰ ৰজাক ইছলাম ধৰ্মত দীক্ষিত কৰি কমতা ৰাজ্যত এই ধৰ্ম প্ৰসাৰণৰ বাট মুকলি কৰিছিল।

চক্ৰধ্বজৰ পুত্ৰ নীলাম্বৰে তদানীন্তন বঙ্গদেশত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ উত্তৰ পূব বঙ্গৰ কিছু অঞ্চল অধিকাৰ কৰে আৰু ৰাজধানী কমতাপুৰৰপৰা ঘোঁৰাঘাটলৈকে এটা বৃহৎ আলিবাট বন্ধায়। ঘোঁৰাঘাটত তেওঁ এটা দুৰ্গও নিৰ্মাণ কৰে। ইয়াতে শঙ্কিত হৈ বঙ্গৰ চুলতান আল্লাউদ্দিন হুচেইন ছাহ (১৪৯৩-১৫১৯ খ্ৰীঃ)-এ ১৪৯৭ খ্ৰীঃত কমতা ৰাজ্য আক্ৰমণ কৰে। তেওঁৰ এই অভিযানৰ নেতৃত্ব দিছিল তেওঁৰ জোঁৱায়েক দুলাল ঘাঁজীয়ে। দুলাল ঘাঁজীয়ে চক্ৰান্ত কৰি নীলাম্বৰক বন্দী কৰি গৌড়লৈ পঠিয়ায় আৰু কমতাপুৰ নগৰ ধ্বংস কৰি হাজো পৰ্যন্ত হুছেইন ছাহৰ আধিপত্য বিস্তাৰ কৰে। ইয়াৰ পিছত কমতা ৰাজ্যৰ শাসনভাৰ দানিয়েলৰ হাতত গতাই হুছেইন ছাহ বঙ্গদেশলৈ উলটি যায়। কিছুদিন পিছতে স্থানীয় ভূঞাসকল ঐক্যবদ্ধ হৈ দানিয়েলক হত্যা কৰি স্বাধীনতা ঘোষণা কৰে। হুছেইন ছাহৰ আক্ৰমণৰ ফলত কমতা ৰাজ্যত মুছলমানসকলৰ উপনিবেশ স্থাপন হয়। তেওঁ ১৫০২ খ্ৰীঃত মান্দাত এখন মাদ্ৰাছা প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ সেনাপতি গিয়াছুদ্দিন আউল্লিয়াই হাজোত এটা মছজিদ সজায় আৰু তেওঁৰ মৃত্যুত মছজিদৰ ওচৰতে তেওঁক কবৰ দিয়া হয়। ইয়েই মুছলমানসকলৰ তীৰ্থস্থান পোৱামক্কা। এই তীৰ্থস্থান দৰ্শন কৰিলে এজন মুছলমান ভক্তই মক্কালৈ গৈ অৰ্জন কৰা পুণ্যৰ এক চতুৰ্থ ভাগৰ সমান পুণ্য অৰ্জন কৰে বুলি বিশ্বাস কৰা হয়। সেইবাবেই ইয়াক পোৱামক্কা বোলা হয়।



তুৰ্কী-মুছলমানসকলে অসমত চলোৱা এইটোৱেই প্ৰথম সফল অভিযান হ'লেও কমতা ৰাজ্যত তেওঁলোকৰ ৰাজত্ব স্থায়ী নহ'ল। কিছুদিন পিছতে তেওঁলোকৰ শাসনৰ বিলুপ্তি ঘটাই বিছু নামৰ এজন মেচ বা কোচ জাতিৰ লোকে কমতা ৰাজ্যত কোচ ৰাজ্য প্ৰতিষ্ঠা কৰে (আনুঃ ১৫১৫ খ্ৰীঃ)। কোচসকলৰ প্ৰসিদ্ধ ৰজা নৰনাৰায়ণৰ (১৫৪০-১৫৮৭ খ্ৰীঃ) ৰাজত্ব কালত তেওঁলোকৰ গৌৰৱ উচ্চ শিখৰত উঠিছিল। ক্ষণস্থায়ী হ'লেও তেওঁলোকে মহাৰাজ নৰনাৰায়ণৰ ভাতৃ আৰু সেনাপতি মহাবীৰ চিলাৰাইৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ ঠাইত তেওঁলোকৰ ক্ষমতা প্ৰতিষ্ঠা কৰিব পাৰিছিল। অসমৰ সাহিত্য-সংস্কৃতি আৰু বিশেষকৈ মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ প্ৰৱৰ্তিত নৱবৈষ্ণৱ বা ভক্তিধৰ্মৰ প্ৰসাৰণত মহাৰাজ নৰনাৰায়ণে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল।[৯৪]

**ধীৰনাৰায়ণ ওৰফে ধৰ্মধ্বজপাল (আনুঃ ১৫০০-১৫২২ খ্ৰীঃ) ঃ**

পুৰন্দৰপালৰ মৃত্যুত পুত্ৰ ধীৰনাৰায়ণে আনুমানিক ১৫০০ খ্ৰীঃত চুতীয়া ৰাজসিংহাসনত আৰোহন কৰে। তেওঁৰ ৰাজত্বকালত এই ৰাজ্যৰ পশ্চিম সীমা লুইতৰ দক্ষিণপাৰে দিহিং নদী আৰু উত্তৰ পাৰে বিশ্বনাথ অঞ্চললৈকে বিস্তৃত আছিল। সেই কালছোৱাত লুইতৰ উত্তৰ পাৰে এই ৰাজ্যৰ পশ্চিম অঞ্চলত ভূঞাসকলে ৰাজত্ব কৰিছিল। এই ভূঞাসকলৰ কাৰণেই চুতীয়া ৰাজ্যৰ লুইতৰ উত্তৰ পাৰৰ পশ্চিম সীমা সময়ে সময়ে কমা টুটা হৈছিল। ৰজা ধীৰনাৰায়নৰ ৰাজত্ব কালত উত্তৰ পৰীয়া ভূঞাসকল চুতীয়া ৰাজ্যৰ অধীনতে আছিল আৰু এই বাবেই চুহুংমুং স্বৰ্গদেৱে হাবুঙৰ পশ্চিমে অৱস্থিত পানবাৰী[৯৫] জয় কৰাৰ পিছতেই আহোম আৰু চুতীয়াৰ মাজত বিবাদ আৰম্ভ হয়। ঢকুৱাখনা কোঁৱৰ গাঁৱত উদ্ধাৰ হোৱা ভূমি দানৰ ফলিত ধীৰনাৰায়নক 'প্ৰচণ্ড দুৰ্দত্ত বাহুৰে' শত্ৰু দমন কৰি ৰাজশ্ৰী লাভ কৰা মহাপৰাক্ৰমী সধয়াপুৰৰ ৰজা বুলি উল্লেখ কৰা হৈছে। এই ভূমি দানৰ ফলি সকলো বিঘিনি উপশমৰ অৰ্থে ৰজা ধীৰানাৰায়নে ১৪৪৪ শকত ৰস্মীকৰ বিপ্ৰক ১০০০ পুৰা ভূমি বলৰকণ্ডন (কোঠ?) সম্বন্বিতে প্ৰজাই বসবাস কৰি থকা হিপুৱাল নামৰ ঠাইত প্ৰদান কৰিছিল। এই ঠাইখণ্ডৰ স্থিতি স্পষ্ট নহয়। সম্ভৱতঃ ঢকুৱাখনা কোঁৱৰ গাঁৱক কেন্দ্ৰ কৰি উক্ত ভূমিখণ্ড দান কৰা হৈছিল।[৯৬]

ধীৰনাৰায়নৰ সমসাময়িক আহোম ৰজা আছিল স্বৰ্গদেৱ চুহুংমুং (১৪৯৭-১৫৩৯ খ্ৰীঃ)। দিহিঙ্গীয়া ফৈদৰ পৰা ৰজা হোৱা হেতু এইজনা স্বৰ্গদেৱ দিহিঙ্গীয়া ৰজা বুলি খ্যাত আছিল। তেওঁ আৰ্য সংস্কৃতিৰ প্ৰভাৱত পৰিছিল। শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ খিতাপ

[৯৪] বিস্তৃত বিৱৰণৰ বাবে চাওক SL Baruah, **A Comprehensive History of Assam**, Delhi, 1985, pp. 179ff.

[৯৫] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৬; P. Gogoi, **The Tai and the Tai Kingdom**, p.88; বৰবৰুৱা, **আহোমৰ দিন**, পৃঃ ৪৭; Acharyya, *op. cit.*, p. 88.

[৯৬] নিত্যানন্দ গগৈ, পূৰ্বোক্ত প্ৰবন্ধ।

তেৰেঁই সৰ্বপ্ৰথম গ্ৰহণ কৰিছিল। ইয়াৰ অপভ্ৰংশ হ'ল স্বৰ্গদেৱ। এওঁৰ দিনত শকেৰে বছৰৰ লেখ গণনা আৰম্ভ হয়। তেওঁ ৰজা হোৱাৰ সময়লৈকে আহোম ৰাজ্য দিহিং আৰু দিখৌৰ মাজতে সীমাবদ্ধ আছিল। ৰাজপাটত উঠাৰ পিছতে তেওঁ দিহিঙৰ পাৰত অৱস্থিত ৰাজধানী চৰগুৱা[৯৭] বানপানীৰ কবলৰ পৰা ৰক্ষাৰ্থে মথাউৰি বান্ধে আৰু অনেক আহোম প্ৰজা সেই ঠাইত সংস্থাপন কৰে। ৰাজ্যৰ তৃতীয় গৰাকী মন্ত্ৰী বৰপাত্ৰ গোঁহাইৰ পদ সৃষ্টি কৰি কনচেঙক সেই পদত নিযুক্তি দিয়াৰ উপৰিও কোঁৱৰসকলক চাৰি ফৈদত ভগাই দিহিং, চাৰিং, তিপাম আৰু তুঙ্গখুঙ্গত থাকিবলৈ দিয়ে।[৯৮] ১৫১০ খ্ৰীঃত এইজনা স্বৰ্গদেৱে ৰাজ্যৰ জনসংখ্যা আৰু তেওঁলোকৰ অৱস্থা নিৰূপন কৰে।[৯৯] ইয়াৰ আগতে ১৫০৫ খ্ৰীঃত বাৰভূঞাসকলক ৰাজ চ'ৰালৈ আনি বশ কৰি লৈছিল।[১০০] খেল আৰু যোগ্যতা অনুসৰি কেইবাবিধৰো বৰুৱা, ফুকন, দুৱৰা, ৰাজখোৱা আদি বিষয়াই পুৰুষানুক্ৰমে বিষয়-বাব খোৱাৰ নিয়ম এইজনা স্বৰ্গদেৱে প্ৰচলন কৰিছিল।[১০১] ওপৰুক্ত কাৰ্যকলাপৰ মূলতে চুহুংমুংৰ ৰাজ্য বিস্তাৰৰ পৰিকল্পনা আছিল। কিয়নো ইয়াৰ পিছতে ১৫১২ খ্ৰীঃত তেওঁ লুইতৰ উত্তৰ পাৰৰ হাবুং প্ৰদেশৰ পশ্চিমৰ সীমান্তৱৰ্তী অঞ্চল পানবাৰী অধিকাৰ কৰিছিল। পানবাৰী অভিযানেৰে সম্ভৱতঃ চুহুংমুঙে নিজ শক্তিৰ পৰীক্ষাহে কৰিছিল আৰু ভৱিষ্যতে হ'ব পৰা যি কোনো আক্ৰমনৰ কাৰণে নিজকে সাজু কৰিছিল।

হাবুং সেই সময়চোৱাত চুতীয়া ৰাজ্যৰ অন্তৰ্গত আছিল। চুতীয়া ৰজা প্ৰদত্ত ভূমিদানৰ ফলি কেইখনৰ সৰহ সংখ্যকেই ধল ধেমাজী অঞ্চলত উদ্ধাৰ হোৱালৈ চাই হাবুং প্ৰদেশ ৰত্নধ্বজপালৰ ৰাজত্ব কালৰে পৰা চুতীয়া ৰাজ্য পতনলৈকে এই ৰাজ্যৰ ভিতৰুৱা আছিল বুলি প্ৰমাণ হয়। এই কাৰণতে চুহুংমুঙৰ পানবাৰী অভিযানে চুতীয়া ৰজা ধীৰনাৰায়নক বিতুষ্ট আৰু শংকিত কৰিছিল আৰু ইয়াৰ প্ৰত্যুত্তৰ হিচাবে ১৫১৩ খ্ৰীঃত চুতীয়া স্থল আৰু নৌ বাহিনীয়ে দিখৌমুখ আক্ৰমণ কৰে।

সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীৰ মতে নিচেই এটা সৰু কথাতে আহোম-চুতীয়াৰ মাজত বিবাদৰ সূত্ৰপাত হয়। দিহিঙত আহোম ৰাজ্যৰ কেইজনমান লোকে নাও মেলি মাছ ধৰি আনোতে চুতীয়াৰ মাণিকচন্দ্ৰ বৰুৱাই ক'লে - 'আমাৰ পানীৰ মাছ, কৰ মানুহে নিয়ে নাও মেলি ধৰগৈ।' তেওঁৰ আদেশ পাই চুতীয়া মানুহ আগবাঢ়ি যোৱাত দুয়ো পক্ষৰ জোতা-পোতা লাগে আৰু মাছটো হাততে চিগে। চুতীয়া মানুহকো লণ্ড-

[৯৭] P. Gogoi, *op. cit.*, p. 283; Gait, *op. cit.*, p. 86; ৰাজধানীখনৰ নাম বকতা আছিল; বৰবৰুৱা, **আহোমৰ দিনৰ** মতে বকতাত পোন প্ৰথমে নগৰ কৰিলে কিন্তু সততে চৰগুৱাতেহে থাকিবলৈ ললে, পৃঃ ৪৬।

[৯৮] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৫; P. Gogoi, *op. cit.*, p. 283.

[৯৯] Acharyya, *op. cit.*, p. 88; লক্ষী দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৯৭-১৯৮।

[১০০] তামুলীফুকন, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৮; Acharyya, *op. cit.*, p. 88.

[১০১] গোহাঞিবৰুৱা, **অসম বুৰঞ্জী**, পৃঃ ৩৯।



জগৰ কৰি আহোমে দুটা চুতীয়া মানুহ ধৰি নিয়ে। এই কথা মাণিকচন্দ্ৰ বৰুৱাই খুন্ত ৰজাৰ জোঁৱায়েকক জনালে - 'লুণ্ডা-মুণ্ডা মানুহবোৰ, গাতো কলীয়া কাপোৰ, দেখোতেও এক বিধ দেখি, আমাৰ মানুহ ২ টাকো ধৰি নিলে, মাছো কাঢ়ি নিলে, গাকো লণ্ড-ভণ্ড কৰিলে''[১০২]। চুতীয়া ৰজা ধীৰনাৰায়ণে এই কথা জানিব পাৰি তাৰ পোতক ল'বলৈ ঠিক কৰিলে। সেই অনুসৰি ৰজা ধীৰনাৰায়ণ ১৫১৩ খ্ৰীঃত সসৈন্যে চেৰুৱাকটাইদি বাট কাটি আহি দিখৌ মুখত পচলাৰে গড় বান্ধি ৰলহি।[১০৩] এদল বচা-বচা চুতীয়া সেনা আহি ওচৰৰ নং-কং-মুং বিলৰ কাষত কোঠ পাতি ৰ'ল আৰু চুতীয়া নৌ বাহিনী চিৰাআতি লৈ আগবাঢ়ি আহিল। এই সন্ধিক্ষণত আহোম স্বৰ্গদেৱে চাও চুখ্ৰাং আৰু দুজন ৰাইলুঙিয়া গোঁহাইৰ নেতৃত্বত নৌ-বাহিনী আৰু স্থলবাহিনী চুতীয়াসকলৰ বিপক্ষে পঠায়।[১০৪] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**ৰ মতে আহোম সৈন্য-বাহিনীৰ লগত কনচেং বৰপাত্ৰ গোঁহাইও গৈছিল।[১০৫] চুতীয়া সেনাক নেতৃত্ব দিছিল মাণিকচন্দ্ৰ বৰুৱা, বৰহুলৈ বৰুৱা আৰু ঢেলা বৰাই।[১০৬] নং-কং-মুং বিলৰ কাষত হোৱা স্থল যুদ্ধত আৰু চিৰাআতিত হোৱা নৌ যুদ্ধত পৰাজিত হৈ চুতীয়া সৈন্য-বাহিনী হুঁহকি যাবলৈ বাধ্য হয়।[১০৭] চাৰি হাজাৰ লোক ৰণত পৰিল, এহেজাৰ বন্দী হ'ল। কনচেং বৰপাত্ৰ গোঁহায়ে 'শত্ৰুৰ তেজ বঢ়াই দিবলৈ ভাল নহয়' বুলি কৈ দেওঘৰলৈ আনি 'এহেজাৰ চুতীয়া কাটি মুণ্ডমালা বান্ধিলে'।[১০৮] এই যুদ্ধৰ ফলত আহোমসকলে দিহিংমুখৰ মুংখ্ৰাম দূৰ্গৰ লগতে নামদাং অঞ্চল দখল কৰি তাত এখন নগৰ পাতে।[১০৯]

চিৰাআতি আৰু নং-কং-মুং যুদ্ধৰ পিছত আহোম-চুতীয়াসকলৰ সংঘৰ্ষ কেইবা বছৰ ধৰি স্থবিৰ হৈ আছিল। সেই কালত জনগোষ্ঠীয় ৰাজ্যসমূহত নিয়মীয়া সৈন্যবাহিনী নাছিল। সম্ভৱতঃ ইয়াৰ কাৰণেই এখন যুদ্ধত পৰাজয় হোৱাৰ পিছত পুনৰ যুদ্ধ আৰম্ভ কৰিবলৈ সময় লৈছিল। ঠিক একে কাৰণতে অৰ্থাৎ, গুৰুতৰ হানি হোৱা হেতু যুদ্ধত জয় লাভ কৰিও চুহুংমুঙে এই যুদ্ধ চলাই যাবলৈ সক্ষম হোৱা নাছিল।

ৰজা ধীৰনাৰায়ণে পৰাজয়ৰ গ্লানি মোচনৰ বাবে পুনৰ সংগঠিত হোৱাৰ ব্যৱস্থা লোৱাৰ উপৰিও আহোমৰ বিপক্ষে মুংকং (নৰা)ৰ ৰজা চাও-কা-ফা (Chau-kaa-pha-১৪৯৩-১৫১৭ খ্ৰীঃ)ৰ সহায় বিচাৰে। মুংকুঙৰ ৰজাই ধীৰনাৰায়নক সহায় কৰাৰ প্ৰতিশ্ৰুতি

[১০২] পৃঃ ৮-৯। খুন্ত ৰজাই চুতীয়া ৰজাক বুজালেও তেওঁৰ জোঁৱায়েক নীতিপাল হ'ব নোৱাৰে। কিয়নো সেই সময়ত সাধনীৰ বিয়াৰ বয়সেই হোৱা নাছিল।

[১০৩] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৬।

[১০৪] **Ahom Buranji**, p. 54.

[১০৫] p. 9.

[১০৬] p. 9.

[১০৭] আহোম **বুৰঞ্জী**, পৃঃ ৫৪; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৬; Gait, *op. cit.*, p. 86.

[১০৮] সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী, পৃঃ ৯।

[১০৯] Gait, *op. cit.*, p. 86.

দিয়ে আৰু আহোম ৰাজ্য আক্ৰমনৰ উদ্দেশ্যে অভিযান আৰম্ভ কৰি আহোম ৰাজ্যৰ সীমাত উপস্থিত হয়। স্বৰ্গদেৱ চুহুংমুঙে এই খবৰ পাই মুংকংৰ ৰজাক বহুতো ম'হ, গৰু আৰু ঘোঁৰা দি বন্ধুত্ব স্থাপন কৰাত মুংকংৰ ৰজাই আহোম ৰাজ্য আক্ৰমণ নকৰাকৈ নিজ ৰাজ্যলৈ উলটি যায়।[১১০] আন এক বিৱৰণ অনুসৰি বানফেৰা নগাৰ কুনবাও (Chief) অৰ্থাৎ দলপতিৰ মধ্যস্থতাত মুংকংৰ ৰজাই আহোম ৰাজ্য আক্ৰমণৰ পৰিৱৰ্তে চুহুংমুঙলৈ উপঢৌকন পঠাই বন্ধুত্ব স্থাপন কৰে।[১১১] আহোম ৰাজ্য আক্ৰমণ নকৰাকৈ মুংকং সৈন্যবাহিনী উলটি গ'লেও ধীৰনাৰায়ণৰ সাহাৰ্যাৰ্থে তেওঁলোক আহোম ৰাজ্যৰ সীমাত উপস্থিত হোৱাটোৱে চুতীয়া ৰাজ্যৰ লগত মুংকং ৰাজ্যৰ সৌহাদ্যপূৰ্ণ সম্পৰ্ক থকাৰ সাক্ষ্য দিছে। মুংকং ৰজাৰ এই অপ্ৰত্যাশিত আচৰণত ৰজা ধীৰনাৰায়ন হতাশ হৈ পৰে আৰু হেৰোৱা ৰাজ্যখণ্ড পুনৰুদ্ধাৰৰ প্ৰচেষ্টা সাময়িক ভাবে স্থগিত ৰাখে।

ইতিমধ্যে সকলো প্ৰকাৰে সক্ষম হৈ ধীৰনাৰায়ণে ১৫২০ খ্ৰীঃত মুংখ্ৰাম দূৰ্গ[১১২] উদ্ধাৰৰ হেতু আহোম ৰাজ্য আক্ৰমণ কৰে। ৰজা ধীৰনাৰায়নৰ অধীনত এইবাৰ চুতীয়া সৈন্যবাহিনী অতি সাৱধানতাৰে হাবিৰ মাজেৰে আহি চেৰুৰাকটাত উপস্থিত হৈ তাতে কোঠ মাৰি ৰয় আৰু তাৰ পৰাই স্থল আৰু নৌ-বাহিনীৰে আহোম ৰাজ্য আক্ৰমণ কৰে। ৰাজ আদেশত মন্ত্ৰী কাচিতৰাই আক্ৰমণ আৰম্ভ কৰি দিহিংমুখত থকা আহোম অধিকৃত মুংখ্ৰাম দূৰ্গ অৱৰোধ কৰে। মুংখ্ৰাম দূৰ্গ সেই সময়ত আহোম সেনাপতি খেনমুঙৰ অধীনত আছিল। এই অৱৰোধৰ ফলত সেনাপতি খেনমুং দূৰ্গৰ বাহিৰ ওলাই যুদ্ধ দিবলৈ বাধ্য হয়। তয়াময়া যুদ্ধত আহোম সেনাপতি পৰাজিত হয় আৰু প্ৰাণ হেৰুৱায়। আহোম সেনাবাহিনী চেদেলি-ভেদেলি হৈ পলাই যায়। মুংখ্ৰাম দূৰ্গ পুনৰবাৰ চুতীয়া ৰজাৰ অধীনলৈ আহে। এই খবৰ বৰগোহাঁই ডাঙৰীয়াই নং-কুং-মুঙত বাহৰ পাতি থকা স্বৰ্গদেৱ চুহুংমুঙক জনালে।[১১৩] কিন্তু চুহুংমুঙে তৎকালিন কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। সেইটো আহোম স্বৰ্গদেৱৰ এই কাৰ্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লিখিছে - 'বুৰঞ্জীত প্ৰকাশ নকৰা কিছুমান কাৰণত দুই বছৰ পাৰ হৈ যোৱাৰ পিছতহে চুহুংমুঙে নতুনকৈ চুতীয়া ৰাজ্য আক্ৰমণ কৰিছিল।[১১৪] এনে বিলম্বৰ সম্ভাৱনীয় কাৰণৰ ইঙ্গিত ইতিমধ্যে দিয়া হৈছে। সম্ভৱতঃ মুংখ্ৰাংৰ যুদ্ধত আহোম স্বৰ্গদেৱৰ অভাৱনীয় ক্ষতি হৈছিল। অজস্ৰ সৈন্য ৰণত পৰিছিল। যুদ্ধৰ বয়-বস্তু, আহিলা-পাতিৰো ক্ষতি হৈছিল। ফলত চুহুংমুঙে তৎকালে যুদ্ধ আৰম্ভ কৰিব পৰা নাছিল। ইয়াৰ পৰিৱৰ্তে টিফৌ (Tiphau) নদীৰ মুখত সৈন্য সংগ্ৰহ কৰা কামত লাগিল।[১১৫]

---

১১০ Ney Elias, *op. cit.*, p. 41.

১১১ Gait, *op. cit.*, pp. 86f.

১১২ এই দূৰ্গ দিহিংমুখ অঞ্চলত আছিল, ১৫১৩ খ্ৰীঃৰ যুদ্ধত এই দূৰ্গ আহোমে অধিকাৰ কৰে।

১১৩ **Ahom Buranji**, p. 54.

১১৪ **A History of Assam**, p. 87.

১১৫ **আহোম বুৰঞ্জী**, পৃঃ ৫৫।



যুদ্ধত জয়লাভ কৰি ৰজা ধীৰনাৰায়ণে আহোমৰ কবলৰ পৰা উদ্ধাৰ কৰা ৰাজ্যখণ্ডৰ শাসনৰ সুব্যৱস্থা কৰে। ইয়াৰ পিছত চুতীয়া সৈন্য-বাহিনীক চেঁচামুখত কোঠ মাৰি ৰবলৈ আদেশ দি নিজে ৰাজধানী সদিয়ালৈ যায়। ৰাজধানীত তেওঁ বিজয় অভিযান উদযাপন কৰি যাগ-যজ্ঞ পাতে আৰু ব্ৰাহ্মণক দান দক্ষিণা আৰু তাম্ৰপত্ৰ কৰি ভূমি দান দিয়ে। এই সময়তে তেওঁ নিজ কন্যা সাধনীকো সয়ম্বৰ পাতি বিয়া দিয়ে। 'তাত পাচে ধীৰনাৰায়ন ৰজা ৰাজ্যভাৰ এৰি জামাতাক যুৱৰাজ পাতি, আপোন পুত্ৰ তিনি বছৰৰ শিশু সাধকনাৰায়নক তাৰ হাতে সমৰ্পনা কৰি ৰাজমহিষী সহিতে অৰণ্যক গল। সিন্ধু ক্ষেত্ৰত বিষ্টো উপাসি প্ৰাণ তিয়াগ কৰিলে।'[১১৬]

ৰাজকন্যা সাধনীক লৈ চুতীয়াসকলৰ মাজত কেইবাটাও আখ্যান আছে। **দেওধাই অসম বুৰঞ্জী** সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত লিপিবদ্ধ থকা মতে ৰজা ধীৰনাৰায়ণ অপুত্ৰক আছিল। দেৱতাক আৰাধনা কৰাৰ ফলত তেওঁৰ এটি কন্যা সন্তান জন্ম হৈছিল, আৰু এই কন্যাটিৰ নাম সাধনী ৰখা হৈছিল। ইয়াৰ বহু বছৰৰ পিছত মুংখ্ৰাম যুদ্ধৰ আগমুহূৰ্তত তেওঁৰ এটি পুত্ৰ সন্তান জন্ম হয় আৰু এই পুত্ৰৰ নাম সাধক নাৰায়ণ ৰাখে। ইতিমধ্যে সাধনী বিবাহৰ উপযুক্ত হয়। মুংখ্ৰাম যুদ্ধত জয়ী হোৱাৰ পিছত ধীৰনাৰায়ণে সাধনীৰ বিবাহৰ কথা চিন্তা কৰে। উপযুক্ত পাত্ৰ নিৰ্ণয় কৰিবৰ কাৰণে পণ ৰাখি তেওঁ সাধনীৰ সয়ম্বৰ পাতে। পণ অনুযায়ী যিজন যুৱকে দৌৰি ফুৰা কেৰ্কেটুৱা এটাক কাঁড় লগাব পাৰিব সাধনীক ৰজাই তেওঁলৈকে বিয়া দিব। দুৰ্ভাগ্য বশতঃ ৰাজবংশৰ অথবা সম্ভ্ৰান্ত পৰিয়ালৰ যুৱকৰ পৰিৱৰ্তে সাধাৰণ পৰিয়ালৰ চুতীয়া ল'ৰা নিতাইহে এই পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ ফলত কন্যাক সন্মত কৰাবলৈ ধীৰনাৰায়ণে কুবেৰ প্ৰদত্ত ৰজা আৰু ৰাজ্যৰ প্ৰতীক 'সোণৰ মেকুৰী', পৰোক্ষ ভাৱে ৰাজসিংহাসন, সাধনী তথা নিতাইৰ হাতত অৰ্পণ কৰিব লগা হয়। সাধনীক সন্মত কৰাই 'চুটিয়া লৰাটিক প্ৰায়চিত্ত কৰাই সাধনী কন্যাক বিবাহ দিলে।'[১১৭] এই প্ৰায়চিত্ত অনুষ্ঠানটিৰ ওপৰত মন্তব্য ৰাখি ড° পদ্মেশ্বৰ গগৈয়ে লিখিছে - এই কাৰ্য্যই শাসক গোষ্ঠীয়ে চুতীয়াসকলক হীন বুলি গণ্য কৰাৰ ইঙ্গিত দিছে। শাসক গোষ্ঠীটো চুতীয়াসকলতকৈ বেলেগ উচ্চ জাতিৰ আছিল নেকি? কেৱল দুখীয়া হোৱাটোৱেই নিতাইৰ প্ৰায়চিত্তৰ কাৰণ হ'ব নোৱাৰে। এই বিৱৰণে চুতীয়া ৰাজবংশৰ উৎপত্তিৰ ওপৰত গভীৰ অধ্যয়ন আহ্বান কৰে।'[১১৮] আহোম, কোচ আদি

---

**দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৮-১৯৯।

পৃঃ ১৯৮।

*op. cit.*, p. 288, 'All these indicates that in the eyes of the ruling dynasty the Chutiyas were of low origin. Was the ruling dynasty of a superior caste different from the Chutiyas? Mere poverly of the groom could not certainly be the ground for *prayacitta*. The account as narrated provokes geniune curiosity calling for deeper probing into the origin of the ruling house.'

জনগোষ্ঠীৰ ৰজাসকলৰ দৰে চুতীয়া ৰজা তথা ৰাজবংশৰ ওপৰতো দেৱত্ব আৰোপ কৰা হৈছিল। অহিন্দু সাধাৰণ চুতীয়া নিতাইক দেৱত্ব আৰোপিত হিন্দু ৰাজবংশলৈ উন্নীত কৰা অনুষ্ঠানত প্ৰায়চিত্ত এক নৈসৰ্গিক নিয়ম আছিল। তদুপৰি ইতিমধ্যে উদ্ধাৰ হোৱা চুতীয়া ৰজাসকলৰ প্ৰদত্ত কেইবাখনো ভূমিদানৰ তাম্ৰপত্ৰত দাতা ৰজাই নিজকে 'সুৰ-ৰিপু-বংশাংশ-ভূতো'[119], অৰ্থাৎ অসুৰ দৈত্য বা ৰাক্ষসৰ বংশ সম্ভূত বুলি চিনাকী দিয়াৰ পিছত প্ৰায়চিত্তই উন্মোচন ঘটোৱা কৌতুহ'ল অৰ্থবহ নহয়।

**নীতিপাল/নিত্যপাল ওৰফে চন্দ্ৰনাৰায়ণ (আনুঃ ১৫২২-১৫২৪ খ্ৰীঃ) ঃ**

নীতিপাল চুতীয়া ৰাজ্যৰ শেষ ৰজা। আনুমানিক ১৫২২ খ্ৰীঃৰ মাজভাগত তেওঁ সিংহাসনত আৰোহণ কৰে। **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত আছে যে, নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি 'ধীৰনাৰায়ণ ৰজাই ৰাজ্য ভাৰ এৰি জামাতাক যুৱৰাজ পাতি, আপোন পুত্ৰ তিনি বছৰৰ শিশু সাধক নাৰায়ণক তাৰ হাতে সমৰ্পনা কৰি, ৰাজমহিষী সহিতে অৰণ্যক গল ... যুৱৰাজে (ধীৰনাৰায়ণ ৰজাক) বিচাৰ কৰি নেপাই ৰজা হৈ নিত্যপাল নাম ললে।"[120] সামান্য চুতীয়া ল'ৰা ৰজা হোৱাত ৰাজবংশৰ ৰাজপাট দাবীদাৰ কোঁৱৰসকল স্বাভাৱিকতে ক্ষুণ্ণ হৈ পৰে। ৰাজ্যৰ বিষয়-বাব খোৱা সম্ভ্ৰান্ত বংশৰ বহু লোকেও ধীৰ নাৰায়ণৰ এই কাৰ্য সহজভাৱে গ্ৰহণ কৰা নাছিল। এই লোকসকলে নিত্যপালক সিংহাসনচ্যুত কৰিবলৈ ষড়যন্ত্ৰ নামিল। এই ষড়যন্ত্ৰৰ মূল নায়ক ধীৰনাৰায়ণ ৰজাৰ ভায়েক সুৰজিৎপাল ওৰফে সূৰধ্বজপাল আছিল।[121] এই ষড়যন্ত্ৰ সফল নহ'ল। নীতিপালে তেওঁৰ বিশ্বাসী চোৰাংচোৱাৰ পৰা সকলো কথা জানিব পাৰি ষড়যন্ত্ৰত লিপ্ত মন্ত্ৰী বিষয়াক ভাঙি নতুন মন্ত্ৰী বিষয়া নিয়োগ কৰে।[122] 'পূৰ্ব্বৰ পাত্ৰ-মন্ত্ৰী গুচাই সামান্য পাত্ৰ-মন্ত্ৰী পাতি ললে'।[123] কেইজনমান লোকক ডাঙৰ বিষয় দি মন্ত্ৰণাকাৰীসকলক বন্দী কৰিবলৈ চেষ্টা কৰিলে। সূৰধ্বজপালক ধৰি আনিবৰ বাবে কাচীতৰা সেনাপতিক পঠায়। কিন্তু সুৰজিত সম্ভৱতঃ আহোম ৰাজ্যলৈ পলাই যোৱাত সেই কাম সম্ভৱ নহ'ল। ইয়াৰ পিছত তেওঁৰ বিষয়ে কোনো উল্লেখ পোৱা নাযায়। অৱশ্যে নীতিপালৰ বিৰুদ্ধে তেওঁ আহোম স্বৰ্গদেৱক সহায় কৰাৰ সম্ভাৱনা নথকা নহয়। নীতিপালে ধীৰনাৰায়ণক মন্ত্ৰী, নাৰায়ণক বৰসেনাপতি আৰু ৰঘূবীৰ আৰু কাচীতৰাক সহসেনাপতি পাতিছিল।[124]

---

[119] ঘিলামৰা ধেনুখনা ভূমিদানৰ ফলি, **প্ৰাচ্য শাসনাৱলী**, পৃঃ ৮২-৮৫।
[120] পৃঃ ১১৯।
[121] গোপীনাথ বৰদলৈ, **চুতীয়া বুৰঞ্জী**, পৃঃ ৬১-৬২।
[122] ঐ।
[123] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৯।
[124] গোপীনাথ বৰদলৈ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬২।



ৰজা নীতিপাল এগৰাকী দক্ষ যোদ্ধা আছিল যদিও ৰাজনীতিৰ বিচক্ষণতা তেওঁৰ নাছিল। ৰাজত্বৰ প্ৰথম অৱস্থাত তেওঁ প্ৰজাবৎসল ৰজা হৈ পৰিছিল। প্ৰজাৰ হিতৰ অৰ্থে তেওঁ অনেক আলিবাট নিৰ্মাণ কৰিছিল আৰু বহুতো পুখুৰী খন্দাইছিল। ষড়যন্ত্ৰৰ পিছত তেওঁ কঠোৰ হৈ পৰে। আনকি ৰাণী সাধনীৰ পৰামৰ্শ অগ্ৰাহ্য কৰি ষড়যন্ত্ৰকাৰীসকলক কঠোৰ শাস্তি দিয়ে। পূৰ্বৰ সাধাৰণ বংশৰ লগৰীয়া সকলক ৰাজ্যৰ বিষয়-বাব দিবলৈ ধৰে আৰু ইয়াৰ ফলত সম্ভ্ৰান্ত বংশৰ লোকৰ বিশ্বাস আৰু আনুগত্য হেৰুৱাব লগা হয়। দেশৰ শাসন ব্যৱস্থা সোলোক-ঢোলোক হৈ পৰে। দোষ গুণৰ সুবিচাৰ নকৰি হকে-বিহকে প্ৰজাৰ ওপৰত উৎপীড়ন চলোৱাৰ বাবেই নীতিপাল প্ৰজাৰ মাজত অনীতিপাল বুলি খ্যাত হৈ পৰে। 'তেওঁৰ নীতিহীন শাসনত চুটিয়া ৰাজ্যৰ দুৰৱস্থাৰ সীমা নোহোৱাত পৰিল। পিচে সেই বাতৰি লাহে লাহে আহোম ৰাজ্যৰ ওচৰ পালেগৈ।'[125] চুতীয়া ৰাজ্যৰ দুৰৱস্থাৰ কথা জানিব পাৰিয়েই ফ্ৰাচেংমুন বৰগোহাঁইয়ে দিহিঙ্গীয়া স্বৰ্গদেৱক 'চুটিয়া দেশ মাৰিলে অনেক বৃত্তি পাই' বুলি জনাইছিল।[126] আৰু সম্ভৱতঃ এই পৰামৰ্শ সাৰোগত কৰিয়েই দিহিঙ্গীয়া স্বৰ্গদেৱে পাত্ৰমন্ত্ৰীৰ লগত আলোচনা কৰি চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ স্থিৰ কৰে।

১৫২৩ খ্ৰীঃৰ শেষৰ ফালে আহোম ৰজাই চুতীয়াৰ চেঁচামুখ দূৰ্গ আক্ৰমণ কৰে। নাৰেতৰে হোৱা এই যুদ্ধত চুতীয়া সৈন্য-বাহিনী তিস্থিব নোৱাৰি পিছ হুঁহকি যাবলৈ বাধ্য হয় আৰু চেঁচামুখৰ দূৰ্গ আহোমৰ অধীনলৈ যায়।[127] ১৫২৩ খ্ৰীঃৰ কাতিমাহত স্বৰ্গদেৱে ফ্ৰাচেংমুং বৰগোহাঁই আৰু ক্লিংলুন ৰাজমন্ত্ৰীক নিজ নিজ সৈন্য বাহিনী লৈ টিফৌমুখলৈ আগবাঢ়ি তাত এটা দূৰ্গ নিৰ্মাণ কৰিবলৈ আদেশ দি নিজে ৰাজধানী চৰাইদেউলৈ যায়। চৰাইদেউত দেৱতাক পূজা-পাতল দি ১৫২৩ খ্ৰীঃৰ আঘোণ (নৱেম্বৰ/ডিচেম্বৰ) মাহত চৰাইদেউৰ পৰা যাত্ৰা আৰম্ভ কৰি চেঁচামুখত কোঠ মাৰি ৰয়।[128] ইফালে চেঁচামুখৰ যুদ্ধত পৰাজয়ৰ বাতৰি পাই চুতীয়া ৰজা নীতিপাল সসৈন্যে আগবাঢ়ি আহি ৰূপাত কোঠ মাৰি ৰয় আৰু তাৰ পৰাই আহোমৰ টিফৌমুখৰ দূৰ্গ আক্ৰমণ কৰে। স্থল আৰু নৌ যুদ্ধত চুতীয়াসকলৰ জয়ৰ সম্ভাৱনাই অধিক আছিল। এই খবৰ পাই স্বৰ্গদেৱ চুহুংমুং সসৈন্যে উজাই আহি টিফৌমুখত উপস্থিত হয় আৰু চুতীয়াসকলক জলে-স্থলে আক্ৰমণ কৰি সম্পূৰ্ণভাৱে পৰাজিত কৰে।[129] এই যুদ্ধত চুতীয়াসকলৰ বহু সেনা ৰণত পৰে আৰু তেওঁলোক পিছহুঁহকি ৰূপালৈ যাবলৈ বাধ্য হয়। ইতিমধ্যে আহোম

---

[125] গোহাঞিবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪০।
[126] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৯৯।
[127] Gait, p.87
[128] আহোম বুৰঞ্জী, পৃঃ ৫৫; Gait, p. 87.
[129] Gait, p. 87.; আহোম বুৰঞ্জী, পৃঃ ৫৫।

সৈন্যবাহিনী দিহিংমুখ হৈ ব্ৰহ্মপুত্ৰই দি উজাই গৈ ডিব্ৰুমুখত এটা দুৰ্গ নিৰ্মাণ কৰে। এইদৰে লুইতেদি ডিব্ৰুমুখলৈ উজাই গৈ কোঠ মৰাৰলৈ চাই চুতীয়া সৈন্য বাহিনীক কেওফালৰ পৰা আগুৰি ধৰাৰ চেষ্টা কৰা হৈছিল যেন অনুমান হয়।[130] স্বৰ্গদেৱ নিজেও দিহিংমুখলৈ আগবাঢ়ি যায়। চুতীয়াসকলে ডিব্ৰুমুখৰ দুৰ্গ আক্ৰমণ কৰি পাঁচদিন তয়াময়া যুদ্ধ কৰিও জয়ী হ'ব নোৱাৰিলে। পৰাজিত চুতীয়া সৈন্য-বাহিনী সদিয়ালৈ পিছুৱাই যাবলৈ বাধ্য হয়।[131] বাৰে বাৰে পৰাজিত হৈ সদিয়ালৈ পিছ হুঁহকি আহিব লগা হোৱাত চুতীয়া ৰজা নীতিপাল ভীতিগ্ৰস্থ হৈ পৰে। উপায়হীন হৈ নীতিপালে তেতিয়া বাৰ্ষিক কৰ শোধাই কৰতলীয়া হৈ থকাৰ প্ৰতিশ্ৰুতি দি চুহুংমুঙৰ ওচৰলৈ কটকী পঠাই সন্ধিৰ প্ৰস্তাব দিয়ে। এই প্ৰস্তাৱৰ লগত আহোম স্বৰ্গদেৱলৈ এখন সোণৰ পীৰা, এখন নিমজ কাঠৰ পীৰা আৰু কম্বল আৰু ফ্ৰাচেংমুং বৰগোহাঁই আৰু ক্লিংলুং ৰাজমন্ত্ৰীলৈ একো একোখনকৈ সোণৰ পীৰা আৰু কম্বল উপহাৰ হিচাপে পঠায়।[132]

কিন্তু আহোম স্বৰ্গদেৱে এই সন্ধিৰ চৰ্ত হিচাপে চুতীয়া ৰজাৰ পৰা[133] কুবেৰদত্ত সকলো সম্পত্তি, বৰকুঁৱৰী, এজনী মাখুন্দী আৰু দহটা হাতীৰ লগতে অন্যান্য বহুতো বহুমূলীয়া উপহাৰ দাবী কৰে। চুতীয়া ৰজাই যুদ্ধ বিলম্ব কৰা অৰ্থে স্বৰ্গদেৱলৈ এই বাৰ্তা পঠালে - 'ভাল কুঁৱৰীকো, মাখুন্দী হাতী আৰু ১০ টা হাতী খুজিছে তাক দিম; সোণৰ দণ্ড খাট যি খুজিছে সি মোৰ বুপাৰ কালৰ সৰ্ব্বস, তাক মই দিব নোৱাৰো। যদি এক মাহলৈ দিন দিয়ে নকৈ গঢ়িহে দিব পাৰো।'[134] এইবাৰো কটকীৰ হাতত স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীদ্বয়লৈ নানা বিধৰ উপঢৌকনৰ লগতে স্বৰ্গদেৱলৈ এগৰাকী কুঁৱৰীয়ো পঠায়। ইতিমধ্যে নীতিপালে ৰাজধানী সদিয়া নগৰৰ তথা দেশৰ সুৰক্ষাৰ হেতু নগৰৰ চাৰিওফালে লুইতৰ পাৰত গড় নিৰ্মাণৰ কামত লাগে, লগতে আহোমৰ হাতত পৰাজিত হৈ মনোবল ভাঙি ছেদেলি-ভেদেলি হৈ পৰা চুতীয়া সৈন্যবোৰ স্থুপিকৃত কৰে।[135]

সিফালে স্বৰ্গদেৱলৈ উপঢৌকন হিচাবে পঠোৱা কুঁৱৰীৰ লগত দিয়া এটা পাটীৰ ভিতৰত চুৰী কটাৰী এখন ওলোৱাত আহোম শিবিৰত উত্তেজনা সৃষ্টি হয়। স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীৰ লগত আলোচনা কৰি বোলে - 'চুটিয়াই আমাৰ কথা নাৰাখিলে যুদ্ধ

[130] P. Gogoi, *op. cit.*, p. 286.

[131] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ১০।

[132] **আহোম বুৰঞ্জী**, পৃঃ ৫৫।

[133] **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫২-৫৩; **আহোম বুৰঞ্জী**, পৃঃ ৫৩ -ত 'বড়কুঞৰি'ৰ পৰিবৰ্তে এজনী ছোৱালী (a girl) হে বিচৰা বুলি লিখিছে যিটো কোনোপধ্যে বিশ্বাসযোগ্য নহয়। Wade ৰ **An Account of Assam** ৰ p. 24 ত লিখিছে - To the conditions he added a demand that the Rajah (a Chutiya king) should resign his wife to his embraces. **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৫৮; গোহাঞিবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪০।

[134] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ৯।

[135] Gait, p. 87; **আহোম বুৰঞ্জী**, পৃঃ ৫৬।



কৰিবলৈহে ইচ্ছা কৰিছে'।[136] গতিকে স্বৰ্গদেৱে তৎকালে ৰাজধানী সদিয়া নগৰ আক্ৰমণ কৰিবলৈ নৌ-বাহিনীক আদেশ দিয়ে। নিজেও সুদক্ষ এক স্থল বাহিনীৰে আগবাঢ়ি গৈ ৰাজধানীৰ সুৰক্ষাৰ হেতু নিৰ্মাণ কৰা গড় ধ্বংস কৰি সদিয়া অধিকাৰ কৰে। এই আক্ৰমণৰ কালত আহোম স্থল বাহিনী নাওৰে তৈয়াৰ কৰা অস্থায়ী সেতুৰে লুইত পাৰ হৈছিল আৰু পৰাজিত চুতীয়া সৈন্য-বাহিনীক কৈতৰা পৰ্যন্ত খেদি নিছিল।[137] ইতিমধ্যে চুতীয়া ৰজা নীতিপালে এক মুষ্টিমেয় সৈন্যবাহিনী আৰু কুঁৱৰীসকলক লৈ ভিতৰুৱা চন্দনগিৰি পৰ্বতত আশ্ৰয় লয়। ইয়াতো আহোম বাহিনীয়ে নেৰানেপেৰা আক্ৰমণ চলায়। চুতীয়া ৰজা নীতিপাল 'লুকিস্থিত হৈ পুনৰ দৃশ্য হৈ স্বৰ্গী ৰজাৰ সৈন্য মাৰে। সেই কাৰণে তাহাকো (নীতিপাল) চন্দ্ৰনাৰায়ণ বোলে'।[138] চন্দনগিৰি পৰ্বতত উঠিবৰ কাৰণে আহোম সেনাই আপ্ৰাণ চেষ্টা চলাইও সফলকাম নহ'ল। চুতীয়া সেনাই ওপৰৰ পৰা শিল বগৰাই আৰু দলিয়াই বহুতো আহোম সৈন্য বধ কৰে। আনকি নীতিপালৰ ১২০ গৰাকী কুঁৱৰীয়ে 'শিলা কুচাই ৰজাৰ হাতত দিয়ে, ৰজা অবিছেদে মাৰে। স্বৰ্গীৰজাৰ সৈন্যত পৰি পৰি মাৰে'।[139] আহোম সৈন্য চন্দনগিৰি পৰ্বতত উঠিবলৈ সক্ষম নহৈ পিচুৱাই আহিব লগাত পৰে। চেংখাম বৰুৱাক চুতীয়া সৈন্যই ধৰি নিয়ে।[140] ইয়াৰ পিছত অহোম সেনাপতিসকলৰ মাজত আলোচনা হয় আৰু তিনি দিশৰ পৰা আক্ৰমণ কৰাৰ সিদ্ধান্ত লৈ সেনাপতি থাওমুং-নাংচুং আৰু থাও মুং ক্লিংখানে সমুখৰ পৰা হাওমুং চেনবে বাওঁফালৰ পৰা আৰু থাওমুং বানলুঙে সোঁফলৰ পৰা আক্ৰমণ আৰম্ভ কৰে।[141] চেংৰূপক নামৰ আন এজন সেনাপতি বাওঁ ফালে আগবাঢ়ি সুৰক্ষিত নথকা এক অঞ্চলত উপস্থিত হৈ ৩০ জন সৈন্যৰে ঘিলা জাতীয় লতা গছৰ সহায়েৰে পৰ্বতত উঠে আৰু পিছফালৰ পৰা চুতীয়াসকলৰ ওপৰত আক্ৰমণ চলাবলৈ সক্ষম হয়। চুতীয়া কাঁড়ীসকলে এই আক্ৰমণ প্ৰতিৰোধ কৰি বহুকেইজন আহোম সৈন্য বধ কৰে। ইতিমধ্যে জংমুংখেন হাতীবৰুৱাই ২০০০ আহোম সৈন্যৰ এটা দল লৈ একে বাটেৰে পৰ্বতত উঠি চুতীয়াসকলৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণ মুষ্ঠিমেয় চুতীয়া সৈন্যই প্ৰতিৰোধ কৰিব নোৱাৰি যেনি তেনি পলায়।[142] **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত উল্লেখ আছে 'ফ্ৰাচুংমুং বৰগোহাঁয়ে মন্ত্ৰণা কৰি ঘিলাগছত বগোৱাই পৰ্বতৰ ওপৰত ঢুলীয়াক ঢোল বজাবলৈ

[136] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ১০; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫৩; **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৫৮; **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৮।

[137] Gait, p. 87.

[138] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২০০।

[139] ঐ।

[140] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৫৯; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫৪ -ৰ মতে ধৰি নিয়া বৰুৱা জনৰ নাম 'প্ৰচঙ্গ ৰেখ' আছিল।

[141] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৮; **পুৰণি অসম বুৰঞ্জী**, পৃঃ ৫৪।

[142] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯।

দিলেগৈ। স্বৰ্গীৰজাৰ আজ্ঞাৰে পৰ্বতত উঠি ঢোল বজালেগৈ"।* চুতীয়া জনশ্ৰুতি মতে সেইদিনা আছিল সাত ব'হাগৰ বিহুৰ দিন। ঢোলৰ মাত শুনি পাহাৰৰ ওপৰত থকা চুতীয়া সৈন্য চঞ্চল হৈ পৰিল। যুদ্ধ জয়ৰ ইঙ্গিত বুলি ভাবি তেওঁলোকে আনন্দত মতলীয়া হৈ নাচিবলৈ ধৰিলে। আন কিছুমানে আকৌ বিহুৰ আনন্দতে মতলীয়া হ'ল। এই পৰিবেশত আক্ৰমণকাৰীসকলে আগবাঢ়ি আহি যুদ্ধ আৰম্ভ কৰিলে। যুদ্ধত চুতীয়াসকল ঘাটিল। এই যুদ্ধত পৰাজয় বৰণ কৰাৰ লগে লগেই উত্তৰ-পূব অসমত দিহিং সোৱণশিৰি উপত্যকাত প্ৰায় এহেজাৰ বছৰ শাসন কৰা চুতীয়া জাতিৰ ৰাজত্বৰ বেলি মাৰ গ'ল। চুতীয়া ৰজা নীতিপাল আৰু ৰাণী সাধনীয়ে যুদ্ধত মৃত্যু বৰণ কৰে।

ৰজা-ৰাণীৰ মৃত্যু কেনেদৰে ঘটিছিল সেই বিষয়ত বুৰঞ্জীসমূহ একেমত নহয়। **দেওধাই অসম বুৰঞ্জী**ত লিপিবদ্ধ থকা মতে - 'জাংমুংখেনে চুটিয়া ৰজাক যাঠীয়েৰে খুচি মাৰিলে। শটো জুৰিলৈ বগৰাই পেলালে। পাচে জাংমুংখেনে চুটিয়া ৰজাৰ বাপেক পুতেকৰ মূৰ কাটি আনি ডাঙ্গৰীয়া সকলৰ ঠাইত দিলেহি আৰু চুটিয়া ৰজাৰ বৰকুঁৱৰীৰ মূৰকাটি আনি আইখাংখুনে দিলেহি।' এইখন বুৰঞ্জীতে সন্নিবিষ্ট **বাঁহগৰীয়া বুঢ়াগোহাইৰ বুৰঞ্জী**ৰ মতে 'চুংডাঙ্গৰ চেওচঙ্গ শইকীয়া যাঠী মাৰি মুণ্ড (নীতিপালৰ) কাটি ললে। জংমুঙ্গে হাতীবৰুৱা, বৰকুঁৱৰীৰো মুণ্ড কাটি লৈ পুতেকৰো লৈ ডাঙ্গৰীয়াবোৰক দেখালেনি।"[১৪৩] একেখন বুৰঞ্জী (**দেওধাই অসম বুৰঞ্জী**)তে সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত ৰজাই বোলে মোক পাচ ভেটি সৈন্য পালেহি। অদ্ভুত শ্ৰুতিহত হৈ সাধনী মহিষীক হাতত ধৰি পৰ্বতৰ শৃঙ্গৰ পৰা ডেও মাৰি জুৰিত পৰি মৰিল। ফ্ৰাচেংমুন বৰগোহাঁইয়ে ৰজাৰ হাড়-মূৰ বিচৰাই নেপালে"[১৪৪] বুলি কৈছে। সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**খনত "ৰজাক শেলে হানি মাৰিলে। ঘৰিনীয়েকেকো কঙ্কালত কাটি শালত দি থলে" বুলি লিপিবদ্ধ আছে।[১৪৫] **সাতসৰী অসম বুৰঞ্জী**-এ "ৰজা মৰিল জুৰিলৈ বগৰাই পেলালে। ... তাৰ বৰকুঁৱৰীকো ধৰি আনিলে..."[১৪৬] বুলি লিখিছে। **আহোম বুৰঞ্জী**-এ আহোম-চুতীয়াৰ শেষ যুদ্ধখন সংঘটিত ঠাইখন জংমুংখাম (Jangmungkham) বুলি চিনাক্ত কৰিছে। এই যুদ্ধত চুতীয়া ৰজাৰ গাত কাঁড় লগাত তেওঁৰ মৃত্যু হয় বুলি লিখিছে।[১৪৭] এইখন বুৰঞ্জীত সাধনীৰ মৃত্যুৰ বিষয়ে কোনো কথা নাই। **তামুলীফুকনৰ বুৰঞ্জী** খনতো সাধনী ৰাণীৰ নাম উল্লেখ নাই। মাত্ৰ 'চুটিয়াৰ ৰজা-মন্ত্ৰি হালৰে মূৰ দুটা কাটি আনি

* ঐ, পৃঃ ২০০।

[১৪৩] পৃঃ ১৯; পৃঃ ১২৬ -ত 'জংমুঙ্গ হাতীবৰুৱাই বৰকুঁৱৰীৰো মুণ্ড কাটিলৈ পুতেকৰো লৈ ডাঙ্গৰীয়া বোৰক দেখালেনি' বুলিহে লিখিছে।

[১৪৪] পৃঃ ২০০।

[১৪৫] পৃঃ ১০।

[১৪৬] পৃঃ ৬০।

[১৪৭] পৃঃ ৫৭।



দেখালেহি' বুলিহে লিখিছে।[১৪৮] গেইটৰ মতে শত্ৰুৰ হাতত পৰাতকৈ মৃত্যুৱেই শ্ৰেয় ভাবি এপাত যাঠীৰে খুচি সাধনী ৰাণীয়ে দেহত্যাগ কৰে। কাড়বিদ্ধ হৈ ৰজাৰ মৃত্যু হয়।[১৪৯] গোহাঞিবৰুৱাৰ **অসমৰ বুৰঞ্জী**ত "... তাতে তেওঁক (ৰজাক) আৰু নগৰত মন্ত্ৰীক বধ কৰি চুটিয়া ৰাজ্য দখল কৰে। সেই আপাহতে সাধনী ৰাণীয়ে কুবেৰদত্ত সম্পত্তি বুকত বান্ধি লৈ চন্দনগিৰিৰ টিঙ্গৰ পৰা তলৰ কুণ্ডলৈ জাঁপ দি তনুত্যাগ কৰে"[১৫০] বুলি আছে। গোপীনাথ বৰদলৈৰ **চুতীয়া বুৰঞ্জী**ত উল্লেখ থকামতে কনচেং সেনাপতিয়ে সাধনীক ধৰি আনিব খোজাত তেওঁ কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি টিঙত উঠি জাপ দি প্ৰাণ বিসৰ্জন দিলে।[১৫১]

উপৰোক্ত উক্তি বা বিৱৰণ সমূহৰ পৰা চুতীয়া ৰজা-ৰাণীৰ মৃত্যু কোন প্ৰকাৰে ঘটিছিল সেইটো সঠিককৈ নিৰ্ণয় কৰাটো কঠিন। কিন্তু চুতীয়া ৰাণী সাধনীয়ে যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হৈ দেশৰ হকে প্ৰাণ বিসৰ্জন দিয়া কথাটো কোনেও অস্বীকাৰ কৰা নাই। দিহিঙ্গীয়া স্বৰ্গদেৱে সন্ধিৰ চৰ্তত যিবোৰ বস্তু দাবী কৰিছিল তাৰ ভিতৰত সাধনী ৰাণীও আছিল। গতিকে যুদ্ধক্ষেত্ৰত এই গৰাকী ৰাণীক স্বৰ্গদেৱৰ কোনো এজন সেনাপতিয়ে মূৰ কাটি বা যাঠীৰে খুচি বা কঁকাল কাটি বধ কৰাটো বিশ্বাসযোগ্য নহয়। বৰঞ্চ তেওঁক বন্দী কৰি স্বৰ্গদেৱক উপহাৰ দি স্বৰ্গদেৱৰ অনুগ্ৰহ লাভৰ চেষ্টা কৰাটোহে সেনাপতিসকলৰ বাবে স্বাভাৱিক কাৰ্য আছিল। উল্লেখযোগ্য যে চৰাইদেওত যি কটা মুণ্ড প্ৰদৰ্শন কৰা হৈছিল তাত সাধনী ৰাণীৰ কটা মুণ্ড নাছিল। তেওঁৰ কটা মুণ্ডৰ কি ব্যৱস্থা কৰা হ'ল সেইকথা বুৰঞ্জীত উল্লেখ নাই। গতিকে কোনো আহোম সেনাপতিয়ে ৰাণী সাধনীৰ যে মুণ্ড কাটি বধ কৰা নাছিল সেইটোহে অধিক বিশ্বাসযোগ্য। গোপীনাথ বৰদলৈয়ে লিপিবদ্ধ কৰাৰ দৰে সম্ভৱতঃ আহোমৰ কোনো এজন সেনাপতিয়ে ৰাণী সাধনীক বন্দী কৰিবৰ বাবে চেষ্টা কৰাত বন্দীত্বতকৈ মৃত্যুৱেই শ্ৰেয় বুলি গণ্য কৰি ৰাণীয়ে প্ৰাণ বিসৰ্জন দিছিল। এই প্ৰাণত্যাগ নিজহাতে যাঠীৰে খুচিয়েই হওক অথবা তলৰ কুণ্ডলৈ জাপ দিয়হেই হওক দেশৰ স্বাধীনতা ৰক্ষাৰ অৰ্থে যুদ্ধক্ষেত্ৰ অৱতীৰ্ণ হৈহে কৰিব লগা হৈছিল। সেইবাবেই ৰাণী সাধনী অসমৰ ইতিহাসত বীৰাঙ্গনা ৰমনী হিচাবে খ্যাত হৈ ৰ'ল। নিজৰ জাতি আৰু দেশৰ বাবে প্ৰাণ বিসৰ্জন দিয়া অসমীয়া বীৰাঙ্গনাসকলৰ ভিতৰত সাধনীয়েই প্ৰথম।

চুতীয়া ৰাজ্য পতনৰ তাৰিখটো ভিন ভিন বুৰঞ্জীত ভিন ভিন ধৰণে দিয়া হৈছে। উদাহৰণ স্বৰূপে **দেওধাই অসম বুৰঞ্জী** মতে ১৪৪৪ শকৰ চ'তৰ তিনিদিন যোৱাত (১৫২৩ খ্ৰীঃ মাৰ্চ) চন্দ্ৰনাৰায়ণ চুতীয়া ৰজাৰ মৃত্যু হয়।[১৫২] সুকুমাৰ মহন্তৰ ঘৰত পোৱা

[১৪৮] পৃঃ ১৭।

[১৪৯] পৃঃ ৮৮।

[১৫০] পৃঃ ৪০।

[১৫১] পৃঃ ৬৬।

[১৫২] পৃঃ ১৯।

কৰি পুথিখনত উপস্থাপন কৰিছিল। ইয়াৰ পিছতো চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়নৰ চেষ্টা ব্যাহত হোৱা নাছিল। তেওঁলোকৰ মাজৰে কেইবাগৰাকীও বিশিষ্ট লোকে এই কাৰ্যত বিশেষ অৰিহণা আগবঢ়াই গৈছে। তেখেতসকলৰ ভিতৰত ইতিহাস অনুৰাগী শ্ৰী সূৰ্য্যকান্ত খনিকৰ, কবি সাহিত্যিক শ্ৰী কোযেশ্বৰ বৰুৱা, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰী ললিত চুতীয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় নৃ-তত্ত্ব বিভাগৰ প্ৰাক্তন শিক্ষক ড° পৰনচন্দ্ৰ শইকীয়া উল্লেখযোগ্য। এই প্ৰসঙ্গত গুণকান্ত চুতীয়াৰ **চুতীয়া বুৰঞ্জীৰ অত-তত**, ভৱকান্ত চুতীয়াৰ **চুতীয়াসকল ঃ চমু ইতিবৃত্ত আৰু সাংস্কৃতিক পৰিচয়**, প্ৰতাপ নেওগৰ **বিদৰ্ভ কুন্-লুং কুন্‌ডিল্ কুন-মিং** আদি গ্ৰন্থৰো নাম ল'ব পাৰি।

সাংগঠনিকভাৱে চুতীয়াসকলৰ এখন বুৰঞ্জী লিখাৰ প্ৰচেষ্টা চুতীয়া সন্মিলনৰ জৰিয়তেই আৰম্ভ হৈছিল। ১৯২৫ খ্ৰীঃত অনুষ্ঠিত 'আসাম চুতীয়া সন্মিলন'ৰ প্ৰথম অধিবেশনতে চুতীয়া বুৰঞ্জী এখন ৰচনা কৰিবৰ অৰ্থে এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। কিন্তু এই সংক্ৰান্তত কোনো কাৰ্যকৰী পন্থা গ্ৰহণ কৰা নহ'ল। সুদীৰ্ঘ তিনিকুৰি বছৰৰ বিৰতিৰ অন্তত ১৯৮৫ খ্ৰীঃত শ্ৰী কোযেশ্বৰ বৰুৱা সন্মিলনৰ সভাপতি হৈ থকা কালত বুৰঞ্জী প্ৰণয়ন সমিতি এখন গঠন কৰা হৈছিল। কিন্তু এইবাৰো কামটো আগ নাবাঢ়িল। ইয়াৰ পিছত যোৰহাট জিলা চুতীয়া সন্মিলনৰ সভাপতি ড° দুৰ্গেশ্বৰ বৰা আৰু সম্পাদক শ্ৰী মোহন বৰা আৰু কেইজনমান উদ্যোগী ব্যক্তিয়ে ২০০২ খ্ৰীঃৰ ৬ অক্টোবৰ তাৰিখে যোৰহাট জিলা পুথি ভঁৰালত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী হোমেন বৰগোহাঞিদেৱক বিশিষ্ট অতিথিৰূপে আমন্ত্ৰণ কৰি আনিছিল। চক্ৰৰ অন্তত এইখন সভাতে চুতীয়া জাতিৰ বুৰঞ্জী এখন প্ৰণয়ন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শ্ৰী বৰগোহাঞিদেৱৰ উদ্যোগত বুৰঞ্জীখন সম্পাদনা কৰাৰ দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰা হৈছিল আৰু সহযোগী সম্পাদক হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাধ্যাপক ড° ডম্বৰুধৰ নাথক মনোনীত কৰা হৈছিল। এই সভাতে শ্ৰী বৰগোহাঞিদেৱৰ পৰামৰ্শত পুঁজি সংগ্ৰহৰ কিছু দিশো উন্মোচিত কৰা হৈছিল। কিন্তু, ইয়াৰ পিছতো নানা কাৰণত বুৰঞ্জী প্ৰণয়নৰ কাম পুনৰ স্থবিৰ হৈ ৰ'ল। যি কি নহওক, এই প্ৰচেষ্টা আগবঢ়াই লৈ যাবলৈ সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ সৌজন্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ প্ৰেক্ষাগৃহত ২০০৪ খ্ৰীঃৰ ১৬ আগষ্ট তাৰিখে পুনৰ এখন সভা অনুষ্ঠিত কৰা হয়। সেইখন সভাত শ্ৰদ্ধেয় বৰগোহাঞিদেৱ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কুলেন্দু পাঠকদেৱক উপদেষ্টা হিচাপে লৈ পুনৰ এখন চুতীয়া জাতি বুৰঞ্জী সম্পাদনা সমিতি গঠন কৰা হয়। এই সম্পাদনা সমিতিৰ অধ্যক্ষ তথা মুখ্য সম্পাদকৰ দায়িত্ব আমাৰ ওপৰত আৰু সম্পাদকৰ দায়িত্ব ড° ডম্বৰুধৰ নাথদেৱৰ ওপৰত অৰ্পণ কৰে। এইবাৰ সন্মিলনে এখন প্ৰণয়ন সমিতিও গঠন কৰে আৰু সভাপতিৰ দায়িত্ব শ্ৰী মিনাৰাম চুতীয়াদেৱক দিয়ে। ২০০৪ খ্ৰীঃৰ নৱেম্বৰ মাহৰ পৰা বুৰঞ্জী ৰচনাৰ কাম হাতত লোৱা হৈছিল আৰু সম্পাদিত প্ৰবন্ধৰে বুৰঞ্জীখন দুটা খণ্ডত প্ৰকাশ কৰাৰ সিদ্ধান্ত কৰা হৈছিল। ইয়াৰে প্ৰথমটো খণ্ড ২০০৬ খ্ৰীঃৰ সাধনী দিৱসত উন্মোচন কৰিব পৰাকৈ প্ৰস্তুত হোৱাৰ কথা আছিল। কিন্তু পিছত দেখা গ'ল যে, দুটা খণ্ডত সুকীয়া সুকীয়াকৈ বুৰঞ্জীখন ৰচনা কৰিলে তাৰ ধাৰাবাহিকতা তথা প্ৰাসঙ্গিকতা নাথাকিব পাৰে। সেই অৰ্থে বুৰঞ্জীখন পৃথক পৃথক দুটা খণ্ডত প্ৰকাশ নকৰি একেটা খণ্ডতে প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বুৰঞ্জীখন ৰচনাত কেইবাটাও সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। প্ৰথম কথা হ'ল, এই বিষয়ত পৰ্যাপ্ত পৰিমাণৰ তথ্যৰ অভাৱ। ফলত, বিভিন্ন উৎসৰ পৰা সমল সংগ্ৰহ কৰি সেইবিলাকৰ সত্যাসত্য, ধাৰাবাহিকতা আৰু প্ৰাসঙ্গিকতা বিচাৰ কৰি চাওঁতে যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। দ্বিতীয়তে, অধিকাংশ লেখকে তেখেতসকলৰ নিবন্ধসমূহ সময়ত জমা দিব পৰা নাছিল। তদুপৰি বুৰঞ্জীমূলক প্ৰবন্ধ ৰচনাৰ নীতি-নিৰ্দেশনা সৰহসংখ্যক লেখকে মানি নচলাৰ ফলত সেই লেখাবোৰ সম্পাদনা কৰোঁতে যথেষ্ট সময় খৰচ কৰিবলগীয়া হ'ল। বুৰঞ্জীখন ৰচনাৰ অগ্ৰগতিত আমাৰ ভগ্ন স্বাস্থ্যও এক ডাঙৰ অন্তৰায় হৈ পৰিল। সি যি কি নহওক, কিছু পলমকৈ হ'লেও বুৰঞ্জীখন ৰচনাৰ কাম সমাপ্ত কৰা হ'ল। বুৰঞ্জীখনত ঐতিহাসিক পৃষ্ঠভূমি, চুতীয়াসকলৰ গোষ্ঠী পৰিচয়, ৰাজনৈতিক ঐতিহ্য তথা চুতীয়া ৰাজ্যৰ উত্থান-পতন, চুতীয়াসকলৰ সমাজ, সংস্কৃতি আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰত আলোকপাত কৰা হৈছে। ঔপনিৱেশিক আৰু স্বাধীনতাৰ উত্তৰ কালত চুতীয়াসকলৰ আত্ম প্ৰতিষ্ঠাৰ প্ৰচেষ্টাও ইয়াৰ ভিতৰত সামৰি লোৱা হৈছে। বিষয় সূচীত চুতীয়াসকলৰ স্বাধীনতা আন্দোলনত ভূমিকা সম্পৰ্কে এটা অধ্যায় অন্তৰ্ভুক্ত কৰা হৈছিল কিন্তু, যথোচিত সমলৰ অভাৱত সেই অধ্যায়টো বাদ দিবলগীয়া হ'ল।

সম্প্ৰতি সমগ্ৰ বিশ্ব জুৰি সকলো জনগোষ্ঠীৰ মাজত আত্মপৰিচয়ৰ চেতনা এটা জাগি উঠিছে। কাৰণ বিশ্বায়নৰ প্ৰক্ৰিয়াত নিজৰ পৰিচয় হেৰাই যাব বুলি সৰু সৰু জনগোষ্ঠীবোৰ আতংকিত হৈ পৰিছে। এই পৰিস্থিতিত সমগ্ৰ বিশ্বত ভিন ভিন জনগোষ্ঠীয়ে নিজ নিজ বুৰঞ্জী ৰচনা কৰিবলৈ লৈছে। চুতীয়াসকলে তেওঁলোকৰ এখন নিজস্ব বুৰঞ্জীৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাটো এই বিশ্বায়ন প্ৰক্ৰিয়াৰে এটা অংগ। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত তেওঁলোকে কেনেভাৱে অংশ গ্ৰহণ কৰিলে আৰু তেওঁলোকৰ প্ৰাচীনত্বৰ জোখ কিমান, তেওঁলোকৰ আত্ম পৰিচয় কি এই কথাবোৰ জানিবলৈ তেওঁলোক উদগ্ৰীৱ হৈ পৰিছে। বুৰঞ্জীখনত তেওঁলোকে বিচৰা সকলো প্ৰশ্নৰে উত্তৰ নাপাবও পাৰে; হ'লেও বিভিন্ন বিষয়ত নতুন চিন্তা কৰিবলৈ বুৰঞ্জী পিপাসু সকলো লোকক ই অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে।

ওপৰত উল্লেখ কৰা হৈছে যে, এইখন বুৰঞ্জী এজন লেখকৰ একক প্ৰচেষ্টা নহয়। বিভিন্নজনে বিভিন্ন বিষয়ত তেওঁলোকৰ লেখা আগবঢ়াইছে। ইয়াৰ ফলত

**অসম বুৰঞ্জী** মতে আকৌ ১৪৪৪ শকত পৌষত 'শদিয়া ভগ্ন হৈল'।[১৫৩] **সাতসৰী অসম বুৰঞ্জী**ত আছে 'চুটিয়া যুদ্ধ জিনি সুবৰ্নৰ দণ্ড, পাট, মেকুৰী, ছত্ৰকো পাই জয়ঢোল কোবাই উৎসব মঙ্গল কৰিলে। প্ৰধান ৰজা হই কেকোৰা দোলা ললে। ... লাক্লি প্লেক চিঙ্গাত[১৫৪] ... ১৪৪৫।[১৫৫] **আহোম বুৰঞ্জী**ৰ মতে 'লাঁকি মুংচেও[১৫৬] (Lanki mungsheu) অৰ্থাৎ ১৫২৩ খ্ৰীঃৰ আঘোণ মাহত স্বৰ্গদেৱ চুহুংমুঙে যুদ্ধ যাত্ৰা আৰম্ভ কৰি (চৰাইদেউৰ পৰা) চেঁচামুখত বাহৰ পাতি ৰয়গৈ। ইয়াৰ পিছত তেওঁ টিফৌমুখৰ যুদ্ধত ভাগ লয়।[১৫৭] টিফৌমুখৰ যুদ্ধখন আহোম-চুতীয়াৰ শেষ যুদ্ধখনৰ আৰম্ভণি আছিল। ইয়াৰ পিছত ডিব্ৰুমুখ, ৰূপা, সদিয়া, কৈতৰা আদি বিভিন্ন ঠাইত যুদ্ধ হৈছিল আৰু চন্দনগিৰি পৰ্বতত হোৱা শেষ যুদ্ধখনত চুতীয়া ৰাজ্যৰ পতন ঘটিছিল। মাজতে কেইবামাহো সন্ধি প্ৰস্তাৱৰ ওপৰত আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰোঁতেও নিশ্চয় সময় লাগিছিল। গতিকে এইখন বুৰঞ্জীমতে যুদ্ধখন ১৫২৩ খ্ৰীঃত শেষ হোৱা নাছিল। ঢকুৱাখনা কোঁৱৰ গাঁৱত উদ্ধাৰ হোৱা ৰজা ধীৰনাৰায়ণৰ তামৰ ফলিখনৰ দানৰ তাৰিখ ১৪৪৪ শক (১৫২২-১৫২৩ খ্ৰীঃ)। সম্ভৱতঃ এই ফলি দান কৰাৰ পিছত ধীৰনাৰায়ণে সাধনীৰ সয়ম্বৰ পাতি বিয়া দিছিল আৰু নীতিপালক ৰজা পাতি সাধকনাৰায়ণক তেওঁৰ হাতত গটাই অৰণ্য বাসী হৈছিল। ইয়াৰ দুই তিনিমাহৰ পিছতে যুদ্ধখন আৰম্ভ হোৱাটো সম্ভৱ নহয়। কাৰণ নীতিপালৰ নামত যিবোৰ কাৰ্য বুৰঞ্জীত বৰ্ণনা কৰা হৈছে, সেই সকলোখিনি ইমান কম সময়ৰ ভিতৰত সংঘটিত হৈছে বুলি বিশ্বাস কৰিব নোৱাৰি। গতিকে আহোম বুৰঞ্জীত উল্লেখ থকাৰ দৰে ১৫২৩ খ্ৰীঃৰ আঘোণ মাহত যুদ্ধখন আৰম্ভ হৈছিল[১৫৮] আৰু যুদ্ধখন ১৫২৪ খ্ৰীঃৰ ব'হাগ মাহলৈকে চলিছিল।

ধীৰনাৰায়ণৰ পুত্ৰ চুতীয়া ৰাজকুমাৰ সাধকনাৰায়ণক লৈ বুৰঞ্জীবিলাক একমত নহয়। **দেওধাই অসম বুৰঞ্জী**ত 'জাংমুংখেনে চুটিয়া ৰজাৰ বাপেক পুতেকৰ মূৰ কাটি আনি ডাঙৰীয়া সকলৰ ঠাইত দিলেহি বুলি লিখিছে। তদুপৰি এই বুৰঞ্জীয়ে শেষ ৰজা গৰাকী চন্দ্ৰনাৰায়ণ বুলি চিনাক্ত কৰিছে। আনহাতে **দেওধাই অসম বুৰঞ্জী**তে সন্নিবিষ্ট 'চুতীয়াৰ কথা'ৰ মতে, নাবালক চুতীয়া ৰাজকুমাৰৰ জীৱন ৰক্ষা কৰি আহোম স্বৰ্গদেৱে

[১৫৩] পৃঃ ১০।

[১৫৪] 'প্লেকচিঙ্গা' শব্দটোৱে ইয়াত ১৪৪৫-১৪৪৬ শক বুজাইছে। লাক্লিৰ প্ৰথম দিন আঘোণৰ মুখ্যচান্দ্ৰৰ প্ৰথম দিন হয়। **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২৩৭, ২৪০।

[১৫৫] পৃঃ ৬১।

[১৫৬] লাঁকি মুংটেও শব্দই ইয়াত ১৪৪৪-১৪৪৫ শক বুজাইছে। **দেওধাই অসম বুৰঞ্জী**, পৃঃ ২৩৯।

[১৫৭] পৃঃ ৫৫।

[১৫৮] চুতীয়াসৰ্কলৰ জনশ্ৰুতি মতে বীৰাঙ্গনা ৰমনী সতী সাধনীয়ে সাত ব'হাগত নিজ জাতি আৰু দেশৰ হকে আত্ম বলিদান দিছিল। এই তাৰিখটোতে তেওঁলোকে সতী সাধনী তিথি উদ্‌যাপন কৰি গৰিয়সী নাৰী গৰাকীক স্মৰণ কৰি আহিছে। সেইবাবে এই তাৰিখটোকে চুতীয়া ৰাজ্য পতনৰ নিশ্চিত তাৰিখ বুলি গ্ৰহণ কৰা হ'ল। উল্লেখযোগ্য যে চন-তাৰিখৰ ক্ষেত্ৰত **আহোম বুৰঞ্জী** খনেই অধিক নিৰ্ভৰযোগ্য বুলি গ্ৰহণ কৰা হয়।



তেওঁক ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত থাপিত সাঞ্চিতকৈ পাতে। তেওঁক যি ৰাজ্যখণ্ড দিয়া হৈছিল তাৰ উত্তৰে আছিল কবিৰৰ আলি, দক্ষিণত ব্ৰহ্মপুত্ৰ, পূৱত ৰৌতা আৰু পশ্চিমত গনাশিৰী।[১৫৯] হৰকান্ত বৰুৱাৰ **অসম বুৰঞ্জী**ত আকৌ চুতীয়া ৰাজপৰিয়ালক নগাঁৰ লাকৰিগুৰিলৈ নিৰ্বাসন দিয়া হৈছিল বুলি উল্লেখ আছে।[১৬০] কিন্তু ড° লক্ষ্মী দেৱীয়ে কোৱাৰ দৰে এই কথাটো সত্য নহয়, কাৰণ, আহোমসকলে তেতিয়া নগাঁও জয় কৰাই নাছিল।[১৬১] আনহাতে, চুতীয়া ৰাজকুমাৰক মঙ্গলদৈ অঞ্চলত থাপিত-সাঞ্চিত কৰাৰ প্ৰমাণ জাতিয়াও আছে। **ছোট ৰজাৰ বংশাৱলী**য়েও এই কথা সাব্যস্ত কৰে। চুতীয়া ৰাজবংশৰ বংশধৰসকল বৰ্তমানেও দৰং জিলাৰ ৰৌতা মৌজাৰ গেৰুৱাপাৰা নামৰ ঠাইত বাস কৰি আছে।

চুতীয়া ৰাজ্য জয় কৰি আহোমসকলে বিভিন্ন সামগ্ৰী লাভ কৰিছিল। এইবিলাকৰ বৰ্ণনা বিভিন্ন বুৰঞ্জীত আছে। **দেওধাই অসম বুৰঞ্জী**ৰ অন্তৰ্গত 'বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী'ত আছে - 'আমাৰ ৰজাদেও চুটিয়া ৰজাৰ নগৰ চাই তাৰ যি পালে নাও-ভৰা দি ডাঙৰীয়াই দিহিঙ্গলৈ দি পঠালে... পাচে বহুত পোৱা গ'ল। হাতী ৩০ টা, ঘোঁৰা ৩০ টা, হিলৈ ৭৯ টা, বাৰু-বৰ্চ্চা, দণ্ড-ছত্ৰ, কেঁকোৰা-দোলা, আৰোৱান, পিক্‌দান, গৰু-ম'হ আনো বিস্তৰ পালে। বামুণ, কাথ, কলিতা, গণক, কঁহাৰ, সোণাৰি, আনো বৃত্তিকৰ মানুহ বিস্তৰ পালে।[১৬২]

এই সম্পৰ্কে সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**ত আছে - '... সোণৰ দণ্ড-খাট, মেকুৰী, জাপি, কেকোঁৰা দোলা আৰু আহিলা-পাতি এই সকলোকে আনি ডাঙৰীয়াবোৰে স্বৰ্গদেউক যোগাই সেৱা কৰিলেহি। প্ৰজা অনেক পালে। ২৭ টা ঘোঁৰা পালে, ১০০০ হিলৈ পালে।[১৬৩]

কাশীনাথ তামুলীফুকনৰ মতে 'চুতীয়া ৰণত জিকি আহোমসকলে হাতী-ঘোঁৰা, সোণ-ৰূপ, অস্ত্ৰ-শস্ত্ৰ অনেক দ্ৰব্য পালে। সোণৰ হাতী ও সোণৰ মেকুৰী ও জৰা ও দোলা ও মাইহাং ও সোণোৱালী তিনিচুকীয়া সিংহাসন ও খাট, এইসকল দ্ৰব্য পাই স্বৰ্গদেউৰ ঘৰলৈ উচৰ্গি দিলে আৰু তলে কেঁকোৰা দোলা, আৰোৱান, ডবা, কালি, হিলৈ, দোলা, চৰা নাও এইসকল দ্ৰব্য পাই ৰজা আৰু ডাঙৰীয়ায়ো ব্যৱহাৰলৈ ল'লে।'[১৬৪]

**দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ৰ মতে চুতীয়া ৰণত জয় লাভ কৰি লাভ কৰা সামগ্ৰীসমূহ হ'ল - হস্তী ২৭, ঘোঁৰা ১০০০, হিলৈ ১০০০, নৌকা

[১৫৯] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৯; 'চুটিয়াৰ কথা' পৃঃ ২০০।

[১৬০] পৃঃ ২৮।

[১৬১] **Ahom Tribal Relations**, p. 65 (note).

[১৬২] পৃঃ ১২৬।

[১৬৩] পৃঃ ১০।

[১৬৪] পৃঃ ১৭-১৮।

৭০০, প্ৰজা, ধন, ধান্য অপৰ্যাপ্ত লেখ নাই। ম'হ ৯০০, দৈৱজ্ঞ, ব্ৰাহ্মণ, তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোৱা, নাপিত, খনিকৰ, দণ্ড-চত্ৰ, কেঁকোৰা দোলা, চ'ৰা নাও, বৰ্চা ইত্যাদি।[১৬৫] হিতেশ্বৰ বৰবৰুৱাৰ **আহোমৰ দিন**ত উল্লেখ থকা মতে, '...ৰজাদেৱে নিজে গৈ চুতীয়া নগৰ চাই, তাত যি পালে, সেই খিনি নাৱে ভটিয়াই দিহিঙেদি পঠালে। সেই সেই বস্তুৰ লেখা; হাতী ৩০ টা, ঘোঁৰা ৬০ টা, বাৰু, বৰ্চ্ছা, ছত্ৰদণ্ড, কেকোৰা-দোলা, আৰোৱান, পিকদান, সোনৰ ভোগজৰা, বেলা, মাইহাঙ্গ, গৰু, মহ আৰু আনো বস্তু বিস্তৰ পালে। সোণৰ হাতী, সোণৰ মেকুৰী, সোণৰ খাট, আৰু সোণৰ তিনিচুকীয়া সিংহাসন এইখিনিও পালে। ... কেকোৰা দোলাকে, আৰোৱান, দবা, জৰা, মাইহাঙ্গ, চৰানাও আদি দ্ৰব্য ৰজা, ডাঙৰীয়া আদিয়ে ব্যৱহাৰ কৰিবলৈ ললে।[১৬৬]

**আহোম বুৰঞ্জী**ত আছে 'পুৱা ডাঙ্গৰীয়াসকলে চুতীয়া ৰাজপৰিয়ালৰ সোণৰ আৰু ৰূপৰ ছত্ৰ, সোণৰ আৰু ৰূপৰ পীৰা, আৰু সোণৰ আৰু ৰূপৰ খাৰু লুণ্ঠন কৰিছিল। ৰাজকুমাৰ আৰু ৰাজকুঁৱৰীসকলক বন্দী কৰিছিল। ডাঙৰীয়াসকলে এই সকলোবোৰ আনি স্বৰ্গদেউক সোধাইছিল।[১৬৭]

আহোম-চুতীয়াৰ শেষ ৰণ খনত ৰজাকে ধৰি আন প্ৰধান লোকসকলৰ কটা মূৰবিলাকৰ কি ব্যৱস্থা কৰা হৈছিল তাৰ বিৱৰণ সকলো বুৰঞ্জীত নাই। যি কেইখনত ইয়াৰ উল্লেখ আছে সেই বিলাকৰ বিৱৰণো একে নহয়। **দেওধাই অসম বুৰঞ্জী**ত আছে - 'চুটিয়া ৰাজাৰ মূৰটো নচুৱাই পৰ্ব্বতত মুণ্ডমালা বান্ধি থলে।'[১৬৮] **আহোমৰ দিন**ত উল্লেখ থকা মতে 'জঙ্গমুঙ্গৰে[১৬৯] কাঁচিতৰাৰে মূৰ দুটা আনি চৰাইদেও আৰু স্বৰ্গদেও এই দুই দেওঘৰৰ বৰ জখলাৰ মূৰতে পুতি তাৰ ওপৰত শিল দিলে। পাছলৈ সেই শিলতে ভৰি দি ৰজাসকল দেওঘৰলৈ উঠে'।[১৭০] এই উক্তিটোকে গেইট[১৭১] আৰু তামুলীফুকনে[১৭২] সমৰ্থন কৰিছে। **পুৰণি অসম বুৰঞ্জী**[১৭৩] আৰু সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**ত[১৭৪] বাপেক পুতেকৰ মূৰ দেওঘৰৰ ওচৰত পুতিলে বুলিহে লিপিবদ্ধ আছে। এই উক্তি পদ্মেশ্বৰ গগৈয়েও সমৰ্থন কৰিছে।[১৭৫]

---

[১৬৫] পৃঃ ২০০।

[১৬৬] পৃঃ ৪৯।

[১৬৭] পৃঃ ৭৫।

[১৬৮] পৃঃ ১৯।

[১৬৯] এইখন বুৰঞ্জীত চুতীয়া ৰজাক জঙ্গমুঙ্গ বুলি উল্লেখ কৰিছে।

[১৭০] পৃঃ ৪৯।

[১৭১] পৃঃ ৮৮।

[১৭২] পৃঃ ১৭।

[১৭৩] পৃঃ ৫৫।

[১৭৪] পৃঃ ১০।

[১৭৫] পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৮৯।



স্বৰ্গদেউ চুহুংমুঙে চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল কৰি সদিয়াখোৱা গোহাঁই নামে এজন বিষয়াৰ ওপৰত তাৰ শাসনভাৰ অৰ্পণ কৰিছিল। চুতীয়া ৰণৰ আহোম সেনাপতি ফ্ৰাচেংমুঙ বৰগোহাঁইয়েই প্ৰথম সদিয়াখোৱা গোহাঁই আছিল। চুতীয়া ৰাজ্য জয় কৰাৰ ফলত আহোম সকলৰ ৰাজ্যৰ সীমা বহুখিনি বৃদ্ধি হ'ল। তেওঁলোকে এতিয়া পৰ্বতীয়া মিছিং (মিৰি), আদি, নিচি, মিচিমি, আদি পাহাৰীয়া জনজাতি বিলাকৰ সংস্পৰ্যলৈ আহিল। এইসকলৰ জৰিয়তে চীনদেশৰ পৰা ৰূপ আৰু তাম আহোম ৰাজ্যলৈ আমদানি কৰাৰ সুবিধা হ'ল। এই বিজয়ৰ ফলত সদিয়া, জয়পুৰ আৰু বৰহাটৰ লোণ পুং আহোমৰ হস্তগত হ'ল। চুতীয়া ৰাজ্যত পোৱা বিভিন্ন অস্ত্ৰ-শস্ত্ৰ, হাতী, ঘোঁৰা আৰু বিশেষকৈ হিলৈয়ে আহোমসকলৰ শক্তি অধিক বলিষ্ঠ কৰি তুলিলে। ফলস্বৰূপে তেওঁলোকে পৰবৰ্তী তুৰ্কী মোগল আক্ৰমন বিলাক সফলতাৰে প্ৰতিৰোধ কৰিবলৈ সক্ষম হ'ল। চুতীয়া ৰাজ্যৰ পৰা অনা ব্ৰাহ্মণ, কায়স্থ দৈৱজ্ঞ আৰু অন্যান্য চুতীয়া লোকসকলে আহোম ৰাজ্যৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ পথত অৰিহণা যোগালে। চুতীয়া আভিজাত্যৰ সামগ্ৰী যেনে কেঁকোৰা দোলা, আৰোৱান, ভোগজৰা, পিকদান, মাইহাং, বেলা, সোণৰ পাট লগা জাপি, সোণ-ৰূপৰ কাম কৰা পয়জাৰ আদি আহোম আভিজাত্যৰ প্ৰতীক হৈ পৰিল।

## চুতীয়া ৰাজ্যৰ শাসন ব্যৱস্থা আৰু আৰ্থ-সামাজিক অৱস্থা

চুতীয়াসকলৰ যিকেইখন বুৰঞ্জী পোৱা গৈছে তাত তেওঁলোকৰ শাসন ব্যৱস্থাৰ সম্পৰ্কে নিৰ্দিষ্টকৈ কোনো বিৱৰণ নাই। আহোম বুৰঞ্জীত আহোম চুতীয়াৰ ৰাজনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত যিবোৰ বিৱৰণ দিয়া হৈছে তাৰপৰা এই বিষয়ে সামান্য আভাষ পোৱা যায়। অৱশ্যে চুতীয়া ৰাজ বংশৰ শাসন কেইখনে এই বিষয়ত যথেষ্ট আলোকপাত কৰে। চুতীয়া ৰাজ্যখন হিন্দু আছিল, গতিকে প্ৰাচীন কামৰূপ ৰাজ্যত যি শাসন ব্যৱস্থা আছিল তাৰে আলমত তেওঁলোকৰ শাসন ব্যৱস্থা গঢ়ি উঠিছিল যেন লাগে। চুতীয়াৰ শাসন ব্যৱস্থাৰ লগত পৰোক্ষ ভাৱে সম্পৰ্ক থকা দুই এটা জনশ্ৰুতিও আছে। এই বিলাকৰ ওপৰতে নিৰ্ভৰ কৰি তলত চুতীয়া শাসন ব্যৱস্থাৰ এটি থুল-মুল আভাষ দিবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰাচীন চুতীয়া ৰাজ্যখনৰ সম্পৰ্কে আমাৰ জ্ঞান এতিয়ালৈকে সীমিত। গতিকে চুতীয়া ৰাজ্যৰ শাসন ব্যৱস্থা বুলি কওঁতে মধ্য যুগৰ চুতীয়া ৰাজ্যৰ কথাহে আলোচিত হ'ব। অৱশ্যে প্ৰয়োজনবোধে য'ত প্ৰাচীন ৰাজ্যখনৰ বিশ্বাসযোগ্য সম্ভেদ আছে, সেইখিনিও বিচাৰ কৰি চোৱা যাব।

চুতীয়া ৰাজ্যত ৰাজতন্ত্ৰই চলিছিল আৰু ইয়াৰ শাসন নীতি হিন্দু শাস্ত্ৰৰ বিধি

বিধানৰ ওপৰতে গঢ় লৈ উঠিছিল যেন বোধ হয়। অৰ্থশাস্ত্ৰত ৰাজ্য এখনৰ ক্ষেত্ৰত সাতোটা অপৰিহাৰ্য্য অঙ্গৰ কথা কোৱা হৈছে। প্ৰাচীন হিন্দু শাস্ত্ৰত এইকেইটাক একেলগে 'প্ৰকৃতি' বুলি কোৱা হৈছে। এই কেইটা হ'ল- ৰজা (স্বামী), মন্ত্ৰী (অমাত্য), ভূমি (জনপদ), গড় (দুৰ্গ), ৰাজভঁৰাল (কোষ), সৈন্য (দণ্ড) আৰু বন্ধু (মিত্ৰ)। এই আটাইকেইটা অংগৰ উপস্থিতি চুতীয়া ৰাজ্যত দেখা যায়। ৰত্নধ্বজপালে কমতা ৰাজ্যৰ লগত বৈবাহিক সূত্ৰে মিত্ৰতা স্থাপন কৰিছিল আৰু গৌড়ৰ ৰজাৰ লগত সখি পাতি কেনেকুৱা নিবিড় বন্ধুত্বৰ এনাজৰীৰে তেওঁক বান্ধি ৰাখিছিল এই কথা ইতিমধ্যে আলোচনা কৰা হৈছে।

ৰাষ্ট্ৰৰ গৰাকী আৰু সৰ্বময় কৰ্তা আছিল ৰজা। চুতীয়া বুৰঞ্জী আৰু জনশ্ৰুতি বিলাকত চুতীয়া ৰাজবংশক কুবেৰৰ সন্তান বুলি পৰিচিত কৰা হৈছে যদিও কোনো এখন শাসনতে ইয়াৰ উল্লেখ নাই। অৱশ্যে এই কথাই এইটো নুবুজায় যে চুতীয়া ৰাজবংশৰ ওপৰত দেৱত্ব আৰোপ কৰা হোৱা নাছিল। কুবেৰ ভক্ত হ'লেও সম্ভৱত তেওঁলোক একে সময়তে বিষ্ণুৰ উপাসক আছিল আৰু সেইবাবে তেওঁলোকৰ নামৰ পিছত নাৰায়ণ উপাধিটো লৈছিল।

**কালিকা পুৰাণ**ত ৰজাৰ প্ৰয়োজনীয় গুণাৱলীৰ কথা কোৱা হৈছে। সেই মতে ৰজা বুদ্ধিমান, পৰাক্ৰমী আৰু ব্যক্তিত্বসম্পন্ন হ'ব লাগিব। ধৰ্মানুৰাগ আৰু প্ৰজাবাৎসল্য হ'ল তেওঁৰ চৰিত্ৰৰ আন এক অপৰিহাৰ্য্য গুণ। বৰমূৰ্তীয়া বিল ভূমিদানৰ তামৰ ফলিত সত্যনাৰায়ণক এজন প্ৰখ্যাত প্ৰজা পালক, কীৰ্তিমান আৰু সকলো নীতিৰ আধাৰ স্বৰূপ' বুলি কোৱা হৈছে। দাতা হিচাপে তেওঁক কৰ্ণৰ লগত তুলনা কৰিছে আৰু প্ৰজাৰ কল্যাণকাৰী শাসক হিচাপে 'দীন-দ্ৰৰিদ্ৰৰ সদা সৰ্বদা অনুকুল' বুলি কৈছে।[১৭৬] তেনেকৈয়ে সদিয়া-চেপাখোৱা তাম্ৰপত্ৰত ধৰ্মনাৰায়ণৰ তীক্ষ্ণ বুদ্ধিৰ প্ৰশংসা কৰি তেওঁক বিবেকৰ সাগৰ বুলি কোৱা হৈছে।[১৭৭] ধীৰনাৰায়ণৰ ঢকুৱাখনা কোঁৱৰৰ গাঁৱত উদ্ধাৰ হোৱা ভূমি দানৰ ফলিত তেওঁ 'সকলো শত্ৰুক পৰাজিত কৰি সৎ লোকক পালন কৰিছিল'[১৭৮] বুলি লিপিবদ্ধ কৰা হৈছে। ৰাজ্য শাসনৰ প্ৰশিক্ষণ বা অভিজ্ঞতা অৰ্জন কৰিবলৈ সাধাৰণতে যুৱৰাজ জনক ৰাজ্যৰ কোনো এটা খণ্ডৰ শাসন কৰ্তা নিয়োগ কৰা হৈছিল। পায়া তাম্ৰেশ্বৰী মন্দিৰৰ দেৱাল (প্ৰাচীৰ)ৰ লিপিৰ পৰা জনা যায় যে, বৃদ্ধ ৰজাৰ পুত্ৰ মুক্তা ধৰ্মনাৰায়ণে এই মন্দিৰৰ ইটাৰ দেৱাল নিৰ্মাণ কৰাইছিল। ধৰ্মানুৰাগ ৰজাৰ অপৰিহাৰ্য গুণ হোৱা হেতুকে প্ৰায় প্ৰতিজন ৰজাই মঠ-মন্দিৰ, দ'ল-দেৱালয় আদি নিৰ্মাণত মনোনিবেশ কৰিছিল। ৰাজ্যত আৰ্য সংস্কৃতি বিকাশৰ অৰ্থে তেওঁলোকে ব্ৰাহ্মণসকলক

---

১৭৬ **প্ৰকাশ**, ২য় বছৰ, ২য় সংখ্যা, ১৯৭৬, পৃঃ ৭৬-৮৬।

১৭৭ **সংজ্ঞা**, ২য় সংখ্যা, পৃঃ ৯১-১০১।

১৭৮ নিত্যানন্দ গগৈ, 'সদিয়াধিপতি ধীৰনাৰায়ণৰ তাম্ৰপত্ৰ ঃ ১৪৪৪ শক', **সোণগিৰি**, স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, অসম, ২০০২, পৃঃ ১০৩-১০৭।



ভূমিদান দিছিল। দান দিয়া এই ভূমিখণ্ড বিলাকৰ বেছিভাগেই বৰ্তমানৰ লক্ষীমপুৰ জিলাত পোৱা হৈছে। সদিয়াত আৰু পায়াত দুখন ফলি পোৱা গৈছে। কিন্তু ভিতৰুৱা পাহাৰীয়া অঞ্চলত আজিলৈকে ভূমিদানৰ কোনো ফলি পোৱা হোৱা নাই।

চুতীয়া ৰজাসকলৰ ৰাজ প্ৰতীক আছিল ঢাল-তৰোৱাল আৰু মেকুৰী। প্ৰতাপ নাৰায়ণ নামৰ এজন ৰজাই শ্ৰী মাধৱদেৱ নামৰ এজন ব্ৰাহ্মণক বৰ্তমান লক্ষীমপুৰৰ সীমাত থকা পদ্মমণ্ডল বিষয়ত ভূমিদানৰ যি তামৰ ফলি দিছিল সেই ফলিত ঢাল-তৰোৱালৰ সৈতে ৰাজ মোহৰৰ চাপ মৰা আছে।[১৭৯]

চুতীয়াসকল আদিতে মাতৃতান্ত্ৰিক আছিল আৰু তেওঁলোকে কেঁচাইখাঁতী গোঁসানীক নৰবলি দি পূজা কৰিছিল। চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলৰ মতে জগতৰ অসীম মহাশক্তিৰ প্ৰতীক হ'ল কুণ্ডি মামা, কুণ্ডি পুৰুষ আৰু মামা প্ৰকৃতি। কুণ্ডি মামাক চুতীয়াসকলে গিৰা গিৰাছী আৰু বুঢ়া বুঢ়ী বুলিও কৈছিল। কুণ্ডি মামাৰ জ্যেষ্ঠ পুত্ৰ হ'ল পিছাডেমা বা বলিয়াবাবা আৰু জ্যেষ্ঠা কন্যা হ'ল পিচাছীডেমা বা কেঁচাইখাঁতী। বুঢ়া বুঢ়ী আৰু বলিয়াবাবা থানৰ ভগ্নাৱশেষ এতিয়াও সদিয়া অঞ্চলত আছে। কেঁচাইখাঁতীক তাম্ৰেশ্বৰীমাই বোলা হৈছিল, কাৰণ তেওঁৰ নামত সজা মন্দিৰৰ চালিখন তামৰ আছিল। পিছলৈ কুণ্ডিক শিৱ আৰু মামাক গৌৰী বা দেৱী ৰূপে গ্ৰহণ কৰা হৈছিল।

চুতীয়া ৰাজবংশ আৰু সম্ভ্ৰান্ত শ্ৰেণীটো আৰ্যীকৃত হোৱাৰ পিছত তেওঁলোকে শিৱ, দেৱী আৰু গণেশৰ লগতে বাসুদেৱ বা বিষ্ণুকো উপাসনা কৰিছিল। চুতীয়া ৰজাসকলে যিসকল ব্ৰাহ্মণক ভূমি দান কৰিছিল তেওঁলোকৰ কেইবাজনো বিষ্ণুভক্ত আছিল। অৱশ্যে চুতীয়া ৰজাসকল শেষলৈকে কেঁচাইখাঁতীৰ ভক্ত হৈ থাকিল। তাম্ৰেশ্বৰী মন্দিৰৰ পূজা উপাসনা কেৱল মাত্ৰ দেউৰীসকলেহে কৰিব পাৰিছিল। দেউৰীসকলৰ প্ৰতি চুতীয়া ৰজাসকল পৰম শ্ৰদ্ধাশীল আছিল। অকলেই হওক বা লগৰেই হওক দেউৰী লোক ৰাজসভাত উপস্থিত হ'লে, তেওঁক ৰজাই থিয় হৈ সন্মান প্ৰদৰ্শন কৰিছিল। চুতীয়া ৰাজ্য ভঙাৰ পিছত আহোম স্বৰ্গদেউসকলেও সেই পৰম্পৰা মানি চলিছিল বুলি জনা যায়।

কৌটিল্যৰ **অৰ্থশাস্ত্ৰ**ত আছে যে, এটা চকাৰে ৰথ চলিব নোৱাৰে, অৰ্থাৎ ৰজাই অকলে ৰাজ্য শাসন কৰিব নোৱাৰে। ৰাজকাৰ্য্যত তেওঁক সহায় কৰিবলৈ সেইবাবে এখন মন্ত্ৰী পৰিষদৰ প্ৰয়োজন। প্ৰাচীন কামৰূপৰ ৰজাসকলে সেই নীতিকে মানি চলিছিল। মন্ত্ৰীসকল সাধাৰণতে ৰজাৰ একে গোষ্ঠীৰ লোক আছিল। অৱশ্যে **কালিকা পুৰাণ**ত ৰজাক ব্ৰাহ্মণ মন্ত্ৰী নিযুক্তি দিবলৈ পৰামৰ্শ দিছে। সম্ভৱত চুতীয়াসকলৰ তিনিজনীয়া মন্ত্ৰী পৰিষদ আছিল। চুতীয়া ৰজাসকলে অভিজ্ঞ আৰু গুণী লোকক মন্ত্ৰী পদত নিযুক্তি

---

১৭৯ বিজয় ভূষণ হাজৰিকা, 'নাহৰনী তাম্ৰলিপিৰ উল্লেখিত প্ৰতাপ-নাৰায়ণ কি চুতীয়া ৰজা ?', স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, ১৯৮৯, পৃঃ ৬৫।

দিছিল। সচৰাচৰ মন্ত্ৰীসকলৰ লগত আলোচনা কৰিহে ৰজাই যিকোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল। **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত আছে যে, ৰত্নধ্বজপালে পাত্ৰমন্ত্ৰীসকলৰ লগত 'যুগুতি' হৈহে ভদ্ৰসেন ৰজাৰ ৰাজ্য ল'বলৈ গৈছিল। তেনেকৈয়ে কমতেশ্বৰ আৰু গৌড় ৰজাৰ লগত মিত্ৰতা কৰিবৰ সময়তো তেওঁ মন্ত্ৰীসকলৰ লগত আলোচনা কৰি লৈছিল।[১৮০] এইখন বুৰঞ্জীত ৰত্নধ্বজৰ দুগৰাকী মন্ত্ৰীৰ নাম পোৱা যায়। এজন বিজয়সেন আৰু আনজন জয়ধ্বজ। শেষ চুতীয়া ৰজা নীতিপালৰো তিনি গৰাকী বিষয়া আছিল - কাচিতৰা, ৰঘুবীৰ আৰু ধীৰনাৰায়ণ।[১৮১] উল্লেখযোগ্য যে, নীতিপালৰ পূৰ্ব্বৱৰ্তী ৰজাজনৰ নামো আছিল ধীৰনাৰায়ণ। ৰাজপুৰোহিতজন সদায়ে ব্ৰাহ্মণ আছিল।

শাসনৰ সুবিধাৰ অৰ্থে ৰাজ্যখনক কিছুমান খণ্ডত ভাগ কৰা হৈছিল। একোটা ভাগক 'বিষয়' বোলা হৈছিল। বিষয়বোৰ সম্ভৱত কিছুমান মণ্ডলত আৰু মণ্ডলবোৰক কেইবাখনো গাঁৱত বিভক্ত কৰা হৈছিল। 'বিষয়' আৰু 'মণ্ডল' শব্দ দুটা নাহৰণি শাসনত পোৱা গৈছে। গাঁওবিলাকৰ শাসনকাৰ্য চলাবলৈ একোজন বিষয়া নিযুক্ত কৰা হৈছিল, কিন্তু তেওঁক কি বোলা হৈছিল জনা নাযায়। একেদৰে মণ্ডলৰ অধিপতিক কি বোলা হৈছিল জনা নাযায়। বিষয়বিলাক শাসন কৰিছিল সম্ভৱতঃ বৃহৎপাত্ৰ নামৰ একো একোজন বিষয়াই। 'বৃহৎপাত্ৰ' নামটো সম্ভৱত চুতীয়া শব্দ 'বৰপাতৰ'ৰ সংস্কৃতকৰণ। প্ৰাচীন চুতীয়া ৰাজ্যত 'পাতৰ' শব্দই শাসনকৰ্তা বুজাইছিল। **দেওধাই অসম বুৰঞ্জী**ত 'বৰপাতৰ'ক 'বৰপাত্ৰ' বুলি উল্লেখ কৰিছে।[১৮২] আহোম শাসনত বৰপাত্ৰগোহাঁই পদৱীৰ নামকৰণ চুতীয়া ৰাজ্যৰ বৰপাতৰৰ অনুকৰণতে হৈছিল যেন লাগে। 'বৃহৎপাত্ৰ' শব্দটো সদিয়া-চেপাখোৱা ফলিত পোৱা গৈছে।

চুতীয়া ৰাজ্যৰ বিচাৰ ব্যৱস্থাৰ সম্পৰ্কে কোনো কথা জনা নাযায়। তৎস্বত্বেও অনুমান কৰিব পাৰি যে ৰজাৰ তলত এজন মুখ্য ন্যায়াধীষ আছিল আৰু তলতীয়া কৰ্মচাৰীৰ সৈতে এৱেঁই ন্যায়-অন্যায়ৰ বিচাৰ কৰিছিল। কিন্তু মৃত্যুদণ্ড দিয়াৰ ক্ষমতা নিশ্চয় ৰজাৰ হাততহে আছিল। শাস্তিসমূহ সম্ভৱত আদিম স্তৰৰে আছিল। ধীৰনাৰায়ণৰ কোঁৱৰ গাঁও তামৰ ফলিত বলাধ্যক্ষ আৰু ন্যায়পাল আদিৰ সাক্ষ্যাতত ৰজাই ভূমি প্ৰদান কৰা বুলি কোৱা হৈছে। ইয়াৰপৰা অনুমান হয় যে মুখ্য ন্যায়াধীষজনক ন্যায়পাল বোলা হৈছিল আৰু প্ৰদত্ত ভূমিৰ চাৰিসীমা নিৰ্দ্ধাৰণ কৰিবৰ সময়ত তেওঁৰ উপস্থিতি অপৰিহাৰ্য আছিল। বলাধ্যক্ষ সম্ভৱতঃ সামৰিক প্ৰশাসনৰ মূৰব্বী আছিল। প্ৰেত্ৰকে প্ৰদত্ত ভূমিৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল। **আহোম বুৰঞ্জী** আৰু চুতীয়া বুৰঞ্জীকেইখনত বৰুৱা, শইকীয়া,

[১৮০] পৃঃ ১৯৪, ১৯৫।
[১৮১] গোপীনাথ বৰদলৈ, পৰ্বোক্ত গ্ৰন্থ, পৃঃ ।
[১৮২] পৃঃ ১৭।



বৰা, কটকী, তামূলী, পাচনী আদি কিছুমান পদৱীৰ নাম পোৱা গৈছে। চুহংমুং স্বৰ্গদেৱৰ দিনত দিহিং নদীত মাছ ধৰাক লৈ দুয়োপক্ষৰ বিবাদ লাগোতে চুতীয়াৰ মাণিক চন্দ্ৰ বৰুৱা উপস্থিত আছিল। কথিত আছে যে চুতীয়া ৰাজ্যত বৰা এটা উচ্চ পদৱী আছিল। বৰা দুই শ্ৰেণীৰ আছিল, এবিধ থানৰ বৰা আৰু আনবিধ শাসনৰ বৰা। থানৰ বৰাই দেৱালয়সমূহত পূজা-সেৱাৰ তদাৰক কৰিছিল। আনবিধ বৰা শাসনৰ উচ্চ পদস্থ বিষয়া আছিল। **দেওধাই অসম বুৰঞ্জী**ত চুতীয়াৰ বৰা-বুৰুকৰ কথা আছে।[১৮৩] ইয়াত বৰা-বুৰুকৰ ভিতৰত চুতীয়াৰ বৰপাত্ৰকো ধৰিছে। ইয়াৰপৰা প্ৰমাণ হয় যে বৰা দায়িত্বশীল বিষয়া আছিল। সৰু-সুৰা সামৰিক অভিযানত সৈন্যবাহিনীক নেতৃত্ব দিয়া বিষয়াজনক নায়ক বোলা হৈছিল। এইটো অৱশ্যে স্থায়ী পদৱী নাছিল। 'নায়ক' শব্দৰ অপভ্ৰংশ হৈ 'নেওগ' হোৱাটো সম্ভৱপৰ। যিজন লোকে ফলি অৰ্থাৎ শাসন লিখিছিল তেওঁক লিপিকাৰ বোলা হৈছিল আৰু যিজনে তামৰ ফলিত সেই শাসন খোদিত কৰিছিল তেওঁক কৰ্মকাৰ বোলা হৈছিল।

ৰাজকোষলৈ বিভিন্ন উৎসৰপৰা ৰাজহ আহিছিল। এই বিলাকৰ ভিতৰত মাটিৰ ওপৰত লগোৱা কৰ, ব্যৱসায়-বাণিজ্যৰপৰা উপাৰ্জিত হোৱা ধন, প্ৰাকৃতিক সম্পদৰপৰা হোৱা আয়, কৰতলীয়া ৰজাসকলে বছৰি পৰিশোধ কৰা কৰ, যুদ্ধত জয়লাভ কৰি সংগ্ৰহ কৰা অৰ্থ-সম্পত্তি ইত্যাদিয়েই প্ৰধান। প্ৰাচীন ভাৰতবৰ্ষ তথা অসমতো খেতিয়কে উপাৰ্জনৰ $^{১}/_{৬}$ অংশ ৰজাঘৰত কৰ হিচাপে পৰিশোধ কৰিব লাগিছিল। চুতীয়া ৰাজ্যতো নিশ্চয় একে ব্যৱস্থাই আছিল। পুৰণি অসমত ভূমিক বিভিন্ন প্ৰকাৰে ভাগ কৰা হৈছিল, যেনে- ক্ষেত্ৰ (খেতিকৰা মাটি), খিল (আবাদি মাটি), ৰাস্তু (বাৰী মাটি) আৰু অপকৃষ্ট ভূমি অৰ্থাৎ নিম্নমানৰ মাটি। খাজনাৰ পৰিমাণ সম্ভৱত মাটিৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি নিদ্ধাৰিণ কৰা হৈছিল। চুতীয়া ৰজাৰ শাসন কেইখনত মাটিৰ পৰিমাণ লিখিবলৈ 'পুটিক' শব্দটো ব্যৱহাৰ কৰা হৈছে। ইয়াৰ অৰ্থ যতদুৰ সম্ভৱ পুৰা। ধেনুখনা তামৰ ফলিত 'কুণ্ডাবল' বুলিও এটা মাটিৰ জোখ আছে। কিন্তু এই জোখৰ পৰিমাণটো কি জানিব পৰা নাই। ঢকুৱাখনা কোঁৱৰ গাঁৱৰ তামৰ ফলিত গজহস্তী পৰিমাণ বুলিও এটা জোখ আছে। এইটো সম্ভৱ এটা দঁতাল হাতী শুৰৰ সমান দীঘল এডাল নল। এই জোখটোৱে ইংগিত দিয়ে যে মাটি জোখিবলৈ নল ব্যৱহাৰ কৰা হৈছিল। বিভিন্ন ৰাজহ সংগ্ৰহ কৰি তাৰ হিচাপ ৰাখিবলৈ নিশ্চয় এটা ৰাজহ বিভাগ আছিল। চুতীয়া ৰাজ্য আছিল অতি সমৃদ্ধিশালী। সদিয়াৰ মাজেদিয়ে চীন আৰু ব্ৰহ্মদেশৰ লগত প্ৰাচীন অসমৰ ব্যৱসায় বাণিজ্য চলিছিল, সম্ভৱতঃ এই বাণিজ্য মধ্যযুগৰ চুতীয়া ৰজাসকলৰ দিনতো প্ৰচলন আছিল আৰু ইয়াৰ পৰা এটা বুজন পৰিমাণৰ আয় হৈছিল। নদীৰ বালি ধুই সোণ কমোৱা সোণোৱাল আৰু লোণৰ পুঙৰপৰা লোণ উৎপাদন কৰা লোণপনীয়াসকলে উপাৰ্জিত

[১৮৩] পৃঃ১৭।

দ্ৰব্যৰ নিৰ্দিষ্ট একাংশ বছৰি ৰাজকৰ হিচাবে শোধাব লাগিছিল। চুতীয়া ৰাজ্যত অনেক বৃত্তিয়াল লোক আছিল। এওঁলোকে নিশ্চয় নগদ ধন হিচাবেই হওক অথবা তেওঁলোকৰ বৃত্তিৰ উপাদানেৰেই হওক ৰাজকোষত এক অংশ জমা দিব লাগিছিল।

ৰাজতন্ত্ৰৰ ভেটি হ'ল সামৰিক শক্তি। গতিকে সকলো ৰজাই সামৰিক শক্তি প্ৰৱল কৰি ৰাখিবলৈ সদায় চেষ্টা কৰিছিল। সমসাময়িক অন্যান্য ৰাজ্যৰ দৰে চুতীয়াসকলৰো নিয়মীয়া সামৰিক বাহিনী নাছিল। কিন্তু পৰিস্থিতি সাপেক্ষে আশু সংগঠনৰ ব্যৱস্থা আছিল। ঘাইকৈ হস্তী, নৌ আৰু পদাতিক সৈন্যৰে এই বাহিনী গঠিত হৈছিল। চুতীয়া ৰণত আহোমসকলে ঘোঁৰা আৰু হিলৈ পোৱাৰ উল্লেখ আছে। সেয়ে অসম বুৰঞ্জীত হিলৈৰ প্ৰথম উল্লেখ। গেইটৰ মতে, ১৫৩২ খ্ৰীঃত তুৰ্ব্বকৰ লগত ৰণত জিকিহে আহোমসকলে প্ৰথম হিলৈ পাইছিল আৰু তেতিয়াৰ পৰা অসমত হিলৈৰ প্ৰচলন হয়।[১৮৪] কিন্তু তুৰ্ব্বকৰ আক্ৰমণৰ আঠ বছৰৰ আগতেই চুতীয়া ৰণত ১০০০টা হিলৈ পোৱাটো মন কৰিবলগা কথা। ইয়াৰপৰা প্ৰমাণ হয় যে চুতীয়া ৰাজ্যত বহু আগৰে পৰা হিলৈৰ ব্যৱহাৰ আছিল। তেওঁলোকৰ হিলৈদাৰী বাহিনীও আছিল। চুতীয়া ৰণত জিকি যেতিয়া আহোমসকলে হিলৈদাৰী খেল পাতিছিল সেই খেলত প্ৰথমে চুতীয়া লোককে নিযুক্তি দিছিল। আহোম ৰাজ্যৰ মিঠা হোলাং নামৰ প্ৰকাণ্ড বৰটোপটো চুতীয়াসকলে নিৰ্মাণ কৰিছিল।[১৮৫] আহোমৰ লগত যুদ্ধ কৰোঁতে অৱশ্যে চুতীয়াসকলে হিলৈ ব্যৱহাৰ কৰাৰ উল্লেখ বৰ্তমানলৈকে পোৱা হোৱা নাই। চুতীয়া ৰণত ১০০ ঘোঁৰা পোৱা বুলি উল্লেখ থকালৈ চাই ইয়াৰ পৰা চুতীয়াসকলৰ অশ্বাৰোহী বাহিনীও আছিল যেন অনুমান হয়। কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ যাওঁতে তেওঁলোকে সম্ভৱতঃ ঘোঁৰাও লগত নিছিল। চুতীয়াসকলৰ নৌ বাহিনী আছিল অতিকৈ শক্তিশালী। আহোমসকলৰ লগত তেওঁলোকৰ কেইবাখনো নৌযুদ্ধ হৈছিল। সত্যনাৰায়ণ ৰজাৰ ঘিলামৰা ভূমিদানৰ তামৰ ফলি মতে দানগ্ৰাহীতা ব্ৰাহ্মণজনক খেতি আৰু বাৰী মাটিৰ লগতে নৌকা ৰাখিবৰ বাবে দুই কুণ্ডাৱল ভূমি অতিৰিক্তকৈ দিয়া হৈছিল। এই নাওবোৰ যুদ্ধৰ কামতে খটোৱা হৈছিল নে বেপাৰ-বাণিজ্যতে লগোৱা হৈছিল তাৰ অৱশ্যে উল্লেখ নাই। সম্ভৱত দুয়োটা কামতে নাওখিনি ব্যৱহাৰ কৰা হৈছিল।

চুতীয়া পদাতিক সৈন্য অতি পাকৈত আছিল। তেওঁলোকৰ ঘাই অস্ত্ৰ আছিল ধেনু-কাঁড়। চুতীয়াসকলৰ ধেনুক বৰধেনু বোলা হৈছিল। চুতীয়াক পৰাভূত কৰাৰ পিছত আহোমসকলৰ মাজত এই ধেনুৰ প্ৰচলন হয়। এই কথা **সাতসৰী অসম বুৰঞ্জীত** এনেদৰে লিপিবদ্ধ হৈছে- 'আমাৰ কাৰফাই ধেনুহে আছিল চুতীয়াত চুতীয়া ধেনু পালে, পিঠিয়ে জোৰ দিয়া চাৰিহাত দীঘল তাকে বৰধেনু বোলে।'[১৮৬] চুতীয়াৰ ধেনুত টোপা

১৮৪ *op. cit.*, p. 95 (fn).
১৮৫ বেণুধৰ শৰ্মা, **মণিৰাম দেৱান**, পৃঃ ২৮৯।
১৮৬ পৃঃ ১৭।



কাঁড় আৰু শিঙিমুৰি কাঁড় নামৰ দুবিধ কাঁড় ব্যৱহাৰ কৰা হৈছিল। শিঙিমুৰি কাঁড়ৰ আগত গৰালিহ লগাই শত্ৰুৰ পক্ষলৈ নিক্ষেপ কৰা হৈছিল। ধনুৰ কাঁড় কাড়ীৰ হাত দুখনৰ অনুপাতে দূৰলৈ গৈছিল। বৰধেনুৰ জোৰ বা গুণ পিঠিৰ ফালে থাকে। ইয়তো ওপৰত উল্লিখিত দুয়োবিধ কাঁড় ব্যৱহাৰ কৰা হৈছিল।[১৮৭] ধেনুবিদ্যাত পাৰ্গতালিৰ কাৰণেই আহোম যুগৰ ধেনুচোচা খেলত চুতীয়াসকলৰ প্ৰাধান্য আছিল আৰু চুতীয়াসকলক লৈ আহোমসকলৰ কাঁড়ী পাইকৰ খেল সৃষ্টি হৈছিল। এই বিষয়ে লোকসাহিত্যত এনেদৰে পোৱা যায় - 'স্বৰ্গদেৱে আনিলে চুতীয়া কাঁড়ী ঐ/ বুকু বহল বহল চাই/ এঠেমা ভিৰায়ে মাৰে বৰ ধনু/ হেডামত সৰকি যায়।' ধেনুবিদ্যাত থকা পাৰ্গতালিৰ বাবেই সাধাৰণ চুতীয়া ল'ৰা নিতাইলৈ সাধনী কুঁৱৰীক বিয়া দিব লগা হৈছিল। যাঠি, জোং, ঢাল, তৰোৱাল, কুঠাৰ, জাঠী, হিলৈ আদি যুদ্ধৰ প্ৰধান অস্ত্ৰ আছিল। কাঁড় বিলাকত বিহ সানি লোৱা হৈছিল। ইয়াৰ বাবে বিহিয়া নামৰ একশ্ৰেণীৰ লোক আছিল।[১৮৮]

আহোমসকলৰ লগত হোৱা যুদ্ধত চুতীয়াসকলে পচলাৰ গড় মাৰিছিল।[১৮৯] 'শত্ৰুৰ লগত যুদ্ধ কৰোঁতে পানীৰ ওপৰত এই গড় মাৰিছিল। পানীত দুই তিনিডালমান কলগছ জুটি ভুঁৰ সাজে আৰু তাৰ ওপৰত ইডালৰ ওপৰত সিডাল কলগছ দি ওখ কৰি লয়। তাত লুকাই শত্ৰুপক্ষলৈ অস্ত্ৰ নিক্ষেপ কৰে। এনে গড় পানীয়ে পানীয়ে এঠাইৰপৰা অন্য ঠাইলৈ সহজে চলাই নিব পাৰি।'[১৯০] মোগলৰ লগত যুদ্ধৰ সময়ত অসমীয়া সেনাই পানীৰ গড় মৰাৰ উল্লেখ আছে। পচলা গড়কে অনুকৰণ কৰি পানীৰ গড় নিৰ্মাণ কৰা হৈছিল।[১৯১]

প্ৰতিৰক্ষাৰ কাৰণে গড় বা দূৰ্গ নিৰ্মাণ কৰা হৈছিল। এই দূৰ্গবিলাকৰ বেছিভাগেই ইটাৰ আছিল। দুই এঠাইত মাটিৰেও দূৰ্গ সজা হৈছিল। এই সম্পৰ্কে আগতেই আলোচনা কৰা হৈছে। কৌটিল্যৰ **অৰ্থশাস্ত্ৰত** চাৰিবিধ দূৰ্গৰ উল্লেখ আছে - পৰ্বত দূৰ্গ, ঔদক অৰ্থাৎ জল দূৰ্গ, ধনবন অৰ্থাৎ মৰুভূমি দূৰ্গ আৰু বন অৰ্থাৎ অৰণ্য দূৰ্গ। **কালিকা পুৰাণত**

১৮৭ [illegible] চুতীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৯।
১৮৮ তিনিচুকীয়া জিলাৰ ডুমডুমা মৌজাৰ ফিল'বাৰী বৰগাঁৱৰ ৬৮ বছৰ বয়সীয়া শ্ৰীভৱনাথ শইকীয়াৰপৰা জনা যায় যে চুতীয়াসকলৰ বিহ দিয়া কাঁড় প্ৰস্তুত প্ৰণালী আজি কিছুদিনৰ আগলৈকে আছিল। ২০০৫ চনৰ ৪ ফ্ৰেব্ৰুৱাৰী তাৰিখে চুতীয়া বুৰঞ্জী সম্পাদনা সমিতিৰ গৱেষণা সহায়ক শ্ৰীজিতু খনিকৰে সাক্ষাৎ গ্ৰহণ কৰোঁতে তেখেতে বিহ দিয়া কাঁড় প্ৰস্তুত কৰা এক প্ৰণালী সম্পৰ্কে বিৱৰি কয় - এক কেজিমান ভোট জলকীয়া আৰু সেই অনুপাতে মানচাধা এমুঠা এখন কেৰাহিত সিজাই আনুমানিক এক লিটাৰমান পানী ৰাখি সেই পানীত জুইত ৰঙা কৰি থোৱা কাঁড়বোৰ ডুবোৱা হয়। কেইঘণ্টামান ডুবাই থোৱাৰ পিছত কাঁড়বোৰ বিষাক্ত হৈছেনে নাই তাক চোৱাৰ কাৰণে ভেকুলী এটাৰ পিঠিত খুঁচ মাৰি দিয়া হয়। যদি ভেকুলিটো লগে লগে মৰে তেন্তে কাঁড়পাত বিষাক্ত হ'ল বুলি জানিব লাগে আৰু যদি নমৰে তেন্তে পুনৰ বিষাক্ত পানীত ডুবাই অনুৰূপ পদ্ধতিৰে কাঁড়পাত বিষাক্ত কৰিব লাগে। মিচিমি তিতা প্ৰয়োগ কৰিও কাঁড়বিলাক বিষাক্ত কৰা হৈছিল বুলি জনা যায়।
১৮৯ **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৬।
১৯০ [illegible] চুতীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৯।
১৯১ ঐ।

এই চাৰিবিধ দূৰ্গৰ লগতে আৰু দুই প্ৰকাৰৰ দূৰ্গ, ভূমি বা মাটিৰ দূৰ্গ আৰু বৃক্ষদূৰ্গৰ উল্লেখ আছে। চুতীয়া ৰাজ্যৰ ভৌগোলিক অৱস্থিতি পৰ্বত দূৰ্গ, ভূমি দূৰ্গ, বৃক্ষ দূৰ্গ স্থাপনৰ বাবে অনুকূল আছিল।

চুতীয়া ৰাজ্যখনৰ বৈশিষ্ট্য সমসাময়িক ভাৰতবৰ্ষৰ অন্যান্য বহুতো ৰাজ্যৰপৰা বেলেগ নহয়। মূলতঃ কেন্দ্ৰীয় প্ৰভুত্ববাদৰ ভেটিত তৈয়াৰ কৰি লোৱা এইখন ৰাজ্যৰ মূল জীৱনী শক্তি নিহিত আছিল ইয়াৰ জনজাতীয় সামাজিক পটভূমিত। কিন্তু অতি কম সময়ৰ ভিতৰতে ইয়াৰ ৰাজনৈতিক শক্তি স্বীকৃতকৰণৰ তাগিদাত অন্য এক শক্তিৰ আশ্ৰয় ল'ব লগা হৈছিল। সেই শক্তি আছিল ধৰ্মীয় আদৰ্শবাদ। চুতীয়া ৰাজন্যবৰ্গই যেতিয়াই ব্ৰাহ্মণ্য ধৰ্ম গ্ৰহণ কৰিলে, তেতিয়াই দেৱতাৰ সন্তান হিচাপে ৰজায়ো জন স্বীকৃতি লাভ কৰিলে। সামৰিক শক্তি আছিল ইয়াৰ অন্য এক প্ৰধান অঙ্গ। সামৰিক অভিযান আৰু সামৰিক প্ৰত্যাহ্বানে আৰম্ভণিৰে পৰাই ৰাজ্যখন গঢ়ি উঠাৰ অনুঘটক হিচাপে ক্ৰিয়া কৰিছিল। কেইবাজনো ব্ৰাহ্মণক মাটি-বৃত্তি দান কৰাৰ্লে চাই এই কথা ক'ব পাৰি যে, ব্যক্তিগত সম্পত্তিৰো বিকাশ ঘটিছিল। তদুপৰি এই কথাই ইঙ্গিত দিয়ে যে সমাজত শ্ৰেণী বিভাজন আৰম্ভ হৈছিল আৰু এই শ্ৰেণী বৈষম্যও ঘৰ-দুৱাৰ, পিন্ধা-উৰা আদিত প্ৰকাশ হৈছিল। মুঠৰ ওপৰত ৰাজ্যখনত এটা সামন্তীয় চৰিত্ৰ গঢ়লৈ উঠিছিল। চুতীয়া ৰাজ্যখনৰ প্ৰথম আৰু প্ৰধান ক্ষমতাশালী ব্যক্তিগৰাকী আছিল ৰজা নিজে। অৱশ্যে সম্ভ্ৰান্ত সদস্যসকলেও ইয়াত অংশ নোলোৱাকৈ থকা নাছিল। ৰাজ্য হেৰুৱাৰ পিছত সম্ভ্ৰান্তসকলৰ মাজত হোৱা বিদ্ৰোহবোৰে ৰাজনৈতিকভাৱে তেওঁলোক কিমান সচেতন আৰু ক্ৰিয়াশীল আছিল সেয়া প্ৰমাণ কৰিলে।

সমসাময়িক অসমৰ আৰ্থ-সামাজিক অৱস্থাৰ যিখন চিত্ৰ আমাৰ জ্ঞাত সেইখন চিত্ৰতে দুই এটা বৈশিষ্ট্যৰে চুতীয়া ৰাজ্যখনো পৰে। অতি প্ৰাচীন কালৰেপৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ প্ৰধান জীৱিকা আছিল কৃষি। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীবিলাকে কাষৰীয়া অঞ্চলত পলস পেলাই মাটি সাৰুৱা কৰিছিল আৰু এই সাৰুৱা মাটিত নানা ধৰণৰ খেতি হৈছিল। চুতীয়া ৰাজ্যৰ মাটিও সকলো প্ৰকাৰৰ শস্য উৎপাদনৰ কাৰণে উপযোগী আছিল। খেতিৰ ভিতৰত ধানখেতিয়ে আছিল প্ৰধান। অসমৰ অন্যান্য ঠাইৰ দৰে এইখন ৰাজ্যতো নাঙল আৰু গৰু ব্যৱহাৰ কৰি খেতি কৰা হৈছিল। আহোমসকলে চুতীয়া ৰণত ৯০০ ম'হ পোৱাৰ কথা আছে।[১৯২] ইয়াৰপৰা অনুমান হয় যে চুতীয়াসকলে হাল বোৱা আৰু অন্যান্য কামত ম'হৰ ব্যৱহাৰ কৰিছিল। অৱশ্যে চুতীয়া ৰাজ্যৰ সকলো প্ৰজা সভ্যতাৰ একে স্তৰত নাছিল। যিসকল জনজাতীয় স্তৰত আছিল তেওঁলোকে ঝুম খেতি কৰিছিল।

ৰাজ্যৰ অধিকাংশ ঠাই অৰণ্যৰে ভৰা আছিল। দা, কুঠাৰ, কোৰ ইত্যাদিৰে

[১৯২] দেওধাই অসম বুৰঞ্জী, পৃঃ ২০০।



চাৰিওফালৰ হাবি ভাঙি মাটি মোকলাই একো-একোখন গাঁৱৰ মানুহে খেতি কৰিবলগীয়া হৈছিল। ৰজা, মন্ত্ৰী আৰু বিষয়া আৰু ব্ৰাহ্মণসকলে তেওঁলোকৰ মাটিত খেতি কৰিবলৈ কিছুমান মানুহ ৰাখিছিল। সম্ভৱতঃ ৰজাঘৰৰপৰাই তেওঁলোকক এই সুবিধা দিয়া হৈছিল, কাৰণ, ভূমিপ্ৰদত্ত শাসনবিলাকত গাঁও, বাৰী আৰু আনকি কেতিয়াবা বৃত্তিয়াল মানুহ দিয়াৰ কথা লিপিবদ্ধ আছে। এইদৰে খেতি কৰা লোকসকলে নিজৰ জীৱন নিৰ্বাহৰ বাবে নিশ্চয় এটা অংশ পাইছিল। এই ব্যৱস্থাই অন্যান্য ৰাজ্যৰ দৰে চুতীয়া ৰাজ্যতো একালে ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে সবল আৰু উন্নত এটা শ্ৰেণী আৰু আনহাতে অনুন্নত আৰু শোষিত দুৰ্বল প্ৰজাৰ এটা সাধাৰণ শ্ৰেণী সৃষ্টি কৰিছিল। ইয়াৰ ফলত জনজাতীয় সমাজৰ গোষ্ঠীগত ঐক্যবোধ, উমৈহতীয়া স্বত্ব আদি কিছুমান মূল্যবোধ হেৰাই গৈছিল।

অসমৰ অন্যান্য ঠাইৰ দৰে চুতীয়া ৰাজ্যতো ধান, মাটিমাহ, মগুমাহ, ক'লামাহ, মচুৰ মাহ, সৰিয়হ, তিল, মৰাপাট, কুঁহিয়াৰ, জালুক, জলকীয়া, কচু, আলু, আদা, হালধি, নহৰু, পিয়াজ আদিৰ লগতে জলফাই, অমৰা, কৰদৈ, থেকেৰা, ডালিম, আম, কঠাল, মধুৰি, পনিয়ল, জামু, তামোল-পাণ আদিৰ খেতি কৰা হৈছিল। চুতীয়া লফা, চুতীয়া লাই আৰু চুতীয়া পালেং বুলি তিনিবিধ শাকৰ প্ৰচলন অসমীয়া সমাজত আজিও আছে। গতিকে নিশ্চয় এই তিনিবিধ শাকৰ লগতে তেওঁলোকে জাতিলাও, ৰঙালাও, কোমোৰা, আমিতা ইত্যাদি পাচলিৰো খেতি কৰিছিল। চুতীয়াসকলে গোসাঁনীৰ আগত কোমোৰা উচৰ্গা কৰিছিল। কোমোৰাৰ লগত ৰন্ধা হাঁহৰ মঙহ এতিয়াও চুতীয়াসকলৰ প্ৰিয় খাদ্য। তেওঁলোকে শুকতি আৰু শুকান মাছৰ ব্যৱহাৰ ভালকৈ জানিছিল। চুতীয়া ৰাজ্য জয় কৰাৰ পিছত আহোম স্বৰ্গদেৱে চুতীয়া মানুহ এজনকে শুকান মাছৰ ভৰালী পাতিছিল।[১৯৩] বিভিন্ন প্ৰকাৰৰ পিঠা, সান্দহ, চিৰা, কড়াই, আখৈ, কোমল চাউল, চুঙা চাউল আদি জলপান চুতীয়াসকলৰ মাজত এতিয়াও প্ৰচলিত। তেওঁলোকে গৰুৰ গাখীৰতকৈ ম'হৰ গাখীৰৰ দৈ বেছি ভাল পাইছিল আৰু হয়তো সেই কাৰণেই গৰুতকৈ বেছিকৈ ম'হেই পুহিছিল। তামোল-পাণ তেওঁলোকৰ সংস্কৃতিৰ এটা অপৰিহাৰ্য অঙ্গ আছিল। কেচা তামোল খোৱাৰ নিয়ম খাচীসকলৰপৰাই অসমীয়া সমাজলৈ আহে। যিহেতুকে খাচী-জয়ন্তীয়াসকলৰ লগত চুতীয়াসকলৰ নিবিড় সম্পৰ্ক আছিল সেই হেতু অসমীয়া সমাজলৈ তামোল-পাণৰ ব্যৱহাৰ তেওঁলোকেই আনিছিল বুলি চুতীয়াসকলে গৌৰৱ কৰে। তেওঁলোকৰ মাজত 'জু' নামৰ চাউলৰ পৰা প্ৰস্তুত এবিধ পানীয়ৰ ব্যৱহাৰ আছিল। এইবিধ পানীয় মঙহৰ সৈতে তেওঁলোকে কেঁচাইখাঁতী গোসাঁনী আৰু অন্যান্য দেৱ-দেৱীৰ পূজাত আগবঢ়াইছিল। চুতীয়াসকলৰ পুৰণি খাদ্যাভ্যাস সম্পৰ্কে সূৰ্য্যকান্ত খনিকৰে **চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতি** নামৰ গ্ৰন্থত আৰু কোযেশ্বৰ বৰুৱাই

[১৯৩] ভৱ চুতীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪৬; খনিকৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭২।

**লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা** গ্ৰন্থত বিতংভাৱে আলোচনা কৰিছে। ওপৰত উল্লেখ কৰা সকলো খাদ্যৰ বিৱৰণ অৱশ্যে চুতীয়াসকলৰ আছুতীয়া বৈশিষ্ট্য বুলি ক'ব নোৱাৰি। সংমিশ্ৰণৰ প্ৰক্ৰিয়াত কোনে কাৰপৰা কি লৈছে আৰু কি দিছে তাৰ উৱাদিহ পাবলৈ টান। চুতীয়া ৰাজ্যত অৱশ্যে লোণৰ অভাৱ নাছিল, বৰঞ্চ অসমৰ সকলো ঠাইৰ মানুহে লোণ বিচাৰি চুতীয়া ৰাজ্যলৈ গৈছিল।

চুতীয়াসকলৰ সম্ভ্ৰান্ত শ্ৰেণীটো কাঠ, বাঁহ আৰু খেৰেৰে সজা দুটুপীয়া ঘৰত বাস কৰিছিল। বৰাহী-চুতীয়াৰ পৰাই আহোমসকলে দুটুপীয়া ঘৰৰ আৰ্হি লৈছিল। **সাতসৰী অসম বুৰঞ্জী**ত আছে- 'একদিনা বৰাহী মানুহে টুনি চৰাই এসজা ৰজাদেৰক ভেঁটিলেনি, কুঢ়িলাৰ সজা, দুই টুপ দিয়া, চাঙ্গঘৰৰ ঠেনা। ৰজা দেখি বোলে, আমাৰ মানুহক দেখাব। সেই ধাৰণে ঘৰ সাজিলে দুই টুপ দি। ঘৰ ভাল হ'ল। ৰজা বোলে, এনেকৈ কেৱে ঘৰ সাজিব নেপায়। তাৰেপৰা বাধা হ'ল।'[১৯৪] চুতীয়া ৰণত আহোমসকলে মালী নামৰ এক শ্ৰেণী লোকো পাইছিল। ইয়াৰ পৰা চুতীয়া ৰাজপৰিয়াল আৰু সম্ভ্ৰান্ত লোকসকলে ঘৰৰ সন্মুখত ফুলনি পাতিছিল বুলি অনুমান কৰিব পাৰি। সাধাৰণ মানুহে সম্ভৱতঃ বাঁহ আৰু খেৰেৰে সজা জুপুৰী ঘৰত বাস কৰিছিল।

ঘৰচীয়া জন্তুৰ ভিতৰত গৰু-ম'হৰ উপৰি ছাগলী, গাহৰী, হাঁহ, পাৰ, কুকুৰা, কুকুৰ, মেকুৰী ইত্যাদি পুহিছিল। মেকুৰী মাৰিব নাপায় বুলি তেওঁলোকৰ এটা জনবিশ্বাস আছে আৰু যাত্ৰাপথত ক'লা মেকুৰী পাৰ হৈ গ'লে তেওঁলোকে অমঙ্গলৰ চিন বুলি ভাৱে। এনে ক্ষেত্ৰত তেওঁলোকে পিছলৈ তিনিখোজ দি বা ক্ষন্তেক বৈ কুবেৰ দেৱতা বা শিৱৰ নাম লৈহে যাত্ৰা পুনৰ আৰম্ভ কৰাৰ নিয়ম আছিল। এই বিশ্বাস তেওঁলোকৰ মাজত এতিয়াও প্ৰচলিত। আঢ্যৱন্ত লোকসকলে হাতীও পুহিছিল। বনৰীয়া হাতী ধৰি ঘৰচীয়া কৰাটো অত্যন্ত টান কাম আছিল। কিন্তু এই কাম তেওঁলোকে অতি দক্ষতাৰে কৰিব পাৰিছিল। এফাঁকি বনগীতত এই কষ্টসাধ্য অথচ কীৰ্তি সম্পন্ন কামৰ ছবি এখন ফুটি উঠিছে - 'চ'তাই পৰেবতে ধুঁৰলি-কুঁৰলি/ কোনে ভাত ৰান্ধি খাই,/ মাক নাই মাউৰা/ তিৰী নাই বৰলা/ হাতী ধৰিবলৈ যায়।' কেৱল হাতী ধৰাই নহয় হাতী চিকিৎসাৰ বহুতো বনৌষধি তেওঁলোকে জানিছিল। চুতীয়াসকলে এবিধ শালিকা চৰাই ধৰি মানুহৰ দৰে মাত মাতিবলৈ শিকাইছিল। সেইবিধ শালিকাৰ নাম চুতীয়া-শালিকা। ইহঁতৰ মূৰৰ ওপৰত এটা চুলিৰ 'জ' বা 'চুট' থাকে। চুতীয়া ৰাজ্যৰ চন্দনগিৰি পাহাৰত এবিধ ভাটৌ পোৱা গৈছিল। তাৰ নাম দিছিল চন্দনা ভাটৌ। এই ভাটৌকো তেওঁলোকে মানুহৰ দৰে মাত মাতিবলৈ শিকাইছিল। সেইদৰে হাবিৰ মইনা চৰাই পুহি মানুহৰ দৰে কথা ক'বলৈ শিকাইছিল। চুতীয়া ৰাজ্য জয় কৰি আহোমসকলে অনেক কমাৰ, কুমাৰ, সোণাৰি, তাঁতী, ধোবা, নাপিত আদি বৃত্তিয়াল লোক পাইছিল। মণিৰাম দেৱানৰপৰা জনা যায় যে আগতে

[১৯৪] সাতসৰী অসম বুৰঞ্জী পৃঃ ১৪।



আহোম ৰাজ্যত কমাৰ নাছিল।[১৯৫] চুতীয়া ৰাজ্যৰপৰাহে ৩০০০ মান কমাৰ আনি চুহুংমুং দিহিঙীয়া ৰজাই ৰাজ্যৰ বিভিন্ন ঠাইত পাতিছিল। এই কমাৰসকলে খেতিৰ বিভিন্ন সঁজুলি, যেনে- নাঙলৰ ফাল, খন্তি, কাঁচি, কোৰ ইত্যাদি তৈয়াৰ কৰিছিল। তদুপৰি দৈনন্দিন জীৱনত লগা দা, কুঠাৰ, বিভিন্ন প্ৰকাৰৰ কটাৰী, যেনে- ডাব কটাৰী, নলুৱা কটাৰী, চুৰি কটাৰী, তামোল কটাৰী, গজাল, বেজী, বৰশী ইত্যাদি তৈয়াৰ কৰিছিল।

চুতীয়া ৰাজ্যত সম্ভৱতঃ মাছমৰীয়া বা কৈৱৰ্ত বুলি বৃত্তিধাৰী লোক নাছিল। কাৰণ, আগতেই আহোম-চুতীয়া সংঘৰ্ষৰ ক্ষেত্ৰত উল্লেখ কৰা হৈছে যে দিহিং নদীত বৰালি মাছ এটা ধৰাৰ কথা লৈ দুয়োপক্ষৰ বিবাদ হৈছিল আৰু তাত চুতীয়াৰ মাণিক চন্দ্ৰ বৰুৱাও উপস্থিত আছিল। গতিকে সম্ভৱতঃ চুতীয়াসকলৰ সাধাৰণ শ্ৰেণীৰ লোকসকলে নিজেই মাছ ধৰিছিল আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকলে তেওঁলোকৰ ঘৰত থকা বনুৱাসকলৰদ্বাৰাই এই কাম কৰাইছিল। মাছ ধৰিবলৈ ব্যৱহাৰ কৰা বিভিন্ন সঁজুলি, যেনে- চেপা, খোকা বা মুগা, খলহা বা গুই, জকাই, জুলুকি, পল, খালৈ, কুল, কালি, পচা, বৰশী, এপটীয়া আদি সঁজুলি ব্যৱহাৰ কৰা হৈছিল। পুৰুষ-তিৰোতা উভয়ে মাছ ধৰিছিল। একেলগে কেইবাগৰাকীও তিৰোতা গৈ জকাই বা পলৰে বিলত মাছ ধৰিছিল। চুতীয়াসকলৰ মাজত জালেৰে মাছ ধৰাৰ নিয়ম নাছিল।[১৯৬]

অসমৰ প্ৰায় সকলো নদীতে সোণ পোৱা গৈছিল। নৈৰ বালি ধুই সোণ কমোৱা লোকসকলক সোণোৱাল বোলা হৈছিল। সোণৰ উৎপাদনৰ ক্ষেত্ৰত চুতীয়া ৰাজ্য প্ৰধান ধনী আছিল। চুতীয়া ৰজা নীতিপালে আহোমৰ লগত সন্ধিৰ প্ৰস্তাৱ দিবৰ সময়ত অনান্য দ্ৰব্যৰ লগতে তিনিখন সোণৰ পীৰা উপহাৰ হিচাপে পঠিয়াইছিল।[১৯৭] চুতীয়া ৰজাৰ সোণৰ দণ্ডছত্ৰ, সোণৰ সিংহাসন, সোণৰ মাইহাং আনকি পিক্‌দান, ভোগজৰা, বেলা (ভৰি ধোৱা চৰিয়া) আদিও সোণৰ হোৱা কথাই প্ৰমাণ কৰে যে চুতীয়া ৰাজ্যত প্ৰচুৰ সোণ উৎপাদন হৈছিল আৰু অতি প্ৰাচীন কালৰেপৰাই চুতীয়াসকলে সোণৰ ব্যৱহাৰ কৰিছিল। সোণৰ দৰে ৰূপৰ কাম কৰা মানুহো চুতীয়া ৰাজ্যত আছিল। চুতীয়া সোণাৰিয়ে পুৰুষ-মহিলাই ব্যৱহাৰ কৰা বিভিন্ন অলংকাৰ, যেনে- গামখাৰু, গোটাখাৰু, মুঠিখাৰু, গোজেৰা, দুগদুগী, বিভিন্ন আৰ্হিৰ আঙঠি আৰু কেৰু ইত্যাদি তৈয়াৰ কৰিছিল। চুতীয়া শিল্পীসকল সকলো প্ৰকাৰৰ হস্তশিল্পত পাৰ্গত আছিল। তেওঁলোকে সোণ বা ৰূপ ঘটোৱা সৰুদৈয়া জাপি, হাতী দাঁতৰ বনকৰা পাটী, চৰানাও, দোলানাও, খেলনাও, কাঠৰ নানা বিধ সামগ্ৰী, পহুৰ শিং কাটি খোদাই কৰি বিভিন্ন প্ৰকাৰৰ বস্তু নিৰ্মাণ কৰিব জানিছিল। সোণৰ বিভিন্ন মূৰ্তি, হেঙুল-হাইতালৰ পীৰাকে ধৰি বিভিন্ন প্ৰকাৰৰ চকুত

[১৯৫] বেণুধৰ শৰ্মা, **মণিৰাম দেৱান**, ১৯৫০, পৃঃ ২৮৭-২৮৮।
[১৯৬] খানিকৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭৪
[১৯৭] আহোম বুৰঞ্জী, পৃঃ ৫৫।

লগা সামগ্ৰী তৈয়াৰ কৰিছিল। হেঙুল-হাইতালৰ কাম কৰা চুতীয়া শিল্পী এতিয়াও অসমৰ বিভিন্ন স্থানত আছে। চুতীয়াসকলৰ মাজত তামৰ প্ৰচুৰ ব্যৱহাৰ আছিল। পূজা-পাতলত লগা সকলো পাত্ৰ তথা সামগ্ৰী তামেৰে তৈয়াৰ কৰা হৈছিল। কেঁচাইখাঁতী মন্দিৰৰ চালখন তামেৰে নিৰ্মিত আছিল। বেতৰ শিল্পীসকলে পাটী, বিচনী, ফানতী, জপা আদি তৈয়াৰ কৰিছিল। তেনেকৈয়ে বাঁহেৰে দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী, যেনে - পাচি, খৰাহি, ডলা, কুলা, গুৰি চালনী, চাউল চলা চালনী, দুকুলি, ধান থোৱা ডুলি, খাং, তোম, পেৰা, ঢৰা আৰু লগতে তাঁতশালৰ সকলো সজুঁলি, যেনে-চেৰেকী, উঘা, লেটাই, ৰাঁছ, চিৰি, শলি, কাঠি ইত্যাদি বাঁহেৰে তৈয়াৰ কৰি লৈছিল। আহোম ৰাজ্যৰ খনিকৰ খেলত সেইবাবেই চুতীয়া লোকৰ প্ৰাধান্য আছিল। শিলাকটীয়াসকলে শিলত নানা মূৰ্তি কাটিছিল আৰু কুমাৰসকলে মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰিছিল। বেণুধৰ শৰ্মাই সেইবাবে কৈছিল 'খনিকৰী বিদ্যাটো চুতীয়াৰ আছুতীয়া সম্পত্তি।'[১৯৮] চুতীয়া ৰাজ্যত চমাৰো আছিল আৰু সম্ভ্ৰান্ত চুতীয়াসকলে চামৰাৰ পয়জাৰ বা জোতা ব্যৱহাৰ কৰিছিল। চুতীয়া ৰজা নীতিপালে আহোম স্বৰ্গদেউলৈ সন্ধিৰ প্ৰস্তাৱ আগবঢ়াওঁতে অন্যান্য দ্ৰব্যৰ লগতে সোণ খটোৱা পয়জাৰ এজোৰো পঠিয়াইছিল।[১৯৯] কোনো কোনো লোকে হৰিণাৰ চালৰপৰাও পয়জাৰ প্ৰস্তুত কৰিছিল।

চুতীয়া ৰাজ্যত বিভিন্ন বিত্তিয়াল লোক থকালৈ চাই এই কথা অনুমান হয় যে, তেওঁলোকৰ নিজ নিজ একোটা খেল আছিল আৰু এই খেলবিলাক তদাৰক কৰিবলৈ কোনো বিষয়া নিযুক্তি দিয়া হৈছিল।

ৰেচম আৰু বয়ন শিল্প সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতি প্ৰাচীন শিল্প। এই শিল্পৰ লগত নাৰীসমাজ ওতঃপ্ৰোতভাৱে জড়িত হৈ আহিছে। এইটো মঙ্গোলীয় সমাজৰ এটা বৈশিষ্ট্য বুলি ক'ব পাৰি। ঘৰখনৰ প্ৰয়োজনীয় সকলো কাপোৰৰ যোগান ধৰাটো উত্তৰ-পূৰ্বাঞ্চলৰ সমাজত নাৰীৰ দায়িত্বৰ ভিতৰত পৰিছিল। এৰী, মুগা, পাট এই তিনিওটা ৰেচম পলুৰপৰা তৈয়াৰ হয়। মুগাপলু পোহা ঠাইক চোমনি বোলে। চোমনি বিলাকক তদাৰক কৰিছিল পুৰুষে। পাট আৰু এৰী পলু ঘৰতে পুহি ইয়াৰ লেটাৰপৰা সূতা-কাটি কাপোৰ বৈছিল। অসমৰ ৰেচম শিল্পৰ উল্লেখ খ্ৰীঃ দ্বিতীয় শতিকামানত ৰচিত Peripalus of the Erythrean Sea নামৰ গ্ৰন্থত পোৱা যায়। কৌটিল্যৰ **অৰ্থশাস্ত্ৰ**তো ইয়াৰ বিৱৰণ আছে। কামৰূপৰ ৰজা ভাস্কৰবৰ্মণে সম্ৰাট হৰ্ষবৰ্দ্ধনলৈ যিবোৰ সামগ্ৰী পঠিয়াইছিল তাৰ ভিতৰত আছিল শৰতৰ জোনাকৰ দৰে শুভ্ৰ সৌম অৰ্থাৎ পাট কাপোৰ, 'পট্টসূত্ৰ'ৰে (পাটসূতাৰে) তৈয়াৰী ফুল বচা মোনা, 'দুকুল' বস্ত্ৰৰে মেৰিয়াই বন্ধা আভোগ ছত্ৰ ইত্যাদি।

[১৯৮] বেণুধৰ শৰ্মা, 'চুতীয়া জাতিৰ কৃষ্টি' ,স্মৃতিগ্ৰন্থ, সদৌ চুতীয়া জাতি সন্মিলন, বিংশতিতম্ অধিবেশন, ১৯৭৯, পৃঃ ২০।

[১৯৯] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৫৮; **আহোম বুৰঞ্জী**, পৃঃ ৫৫।



কামৰূপৰ 'দুকুল' বস্ত্ৰৰ বৰ্ণনা দি কৌটিল্যই কৈছে যে সূৰ্য্যৰ হেঙুলীয়া ৰশ্মিৰ দৰে ইয়াৰ বা, মুকুতাৰ গাৰ দৰে ই মিহি আৰু সূতাবোৰ পানীত তিয়াই তিয়াই এই বস্ত্ৰ বোৱা হয়।[২০০] গতিকে নিঃসন্দেহে ই অসমৰ বিশ্ববিখ্যাত মুগা বস্ত্ৰ। অসমৰ এচাম আদিম অধিবাসী হিচাপে চুতীয়া নাৰীসকলেও অতি প্ৰাচীন কালৰেপৰা এই তিনিওবিধ বস্ত্ৰ তৈয়াৰ কৰিছিল। মঙ্গোলীয় চিৰকেক (Sirkek) বা কোৰিয়াৰ চিৰ (Sir) শব্দৰপৰাই চিল্ক (Silk) শব্দটোৰ উৎপত্তি বুলি অনেকে মত পোষণ কৰে। **মহাভাৰত**ত অসমৰ আদিম আদিবাসীসকলক পাট বা চিৰৰ ব্যৱসায়ী বুলিয়েই তেওঁলোকক কিৰাট বোলা হৈছিল। আহোম স্বৰ্গদেউৰ লগত সন্ধি কৰিবৰ সময়ত চুতীয়া ৰজাই সোণোৱালী কাপোৰ এযোৰ আৰু নৰা কাপোৰ দুখন উপহাৰ হিচাপে দিছিল।[২০১] সোণোৱালী কাপোৰ সম্ভৱতঃ মুগাৰ বনকৰা কাপোৰ আছিল। একে সময়তে তেওঁলোকে কপাহৰপৰা সূতা কাটি বিভিন্ন প্ৰকাৰৰ কপাহী বস্ত্ৰ বৈ লৈছিল। পিন্ধা সাজ-পাৰৰ উপৰি বিচনা চাদৰ, খনীয়া কাপোৰ, বৰ কাপোৰ, চেলেং, গামোচা আদিও তেওঁলোকে তৈয়াৰ কৰিছিল। **আহোম বুৰঞ্জী**ত চুতীয়া ৰজা নীতিপালে সন্ধিৰ প্ৰস্তাৱৰ সময়ত আহোম স্বৰ্গদেৱ চুহুংমুঙলৈ মুগাৰ কম্বল দিয়াৰ কথা আছে।[২০২] এই কম্বল সম্ভৱতঃ তেওঁলোকে দাঁতি-কাষৰীয়া মিচিং বা মিচিমিসকলৰপৰা পাইছিল।

বস্ত্ৰ শিল্পৰ লগত ৰঞ্জন শিল্পও ওতঃপ্ৰোতভাৱে জড়িত। ম'জাঠি, বৰহমথুৰি, নীল আদি বিভিন্ন দ্ৰব্যৰে ৰঞ্জন প্ৰস্তুত কৰি সূতাত ৰং দিয়া হৈছিল। **কালিকা পুৰাণ**ত ৰক্তং (ৰঙা), কৌশেয়ং (হালধীয়া) আৰু নীলং (নীলা) বস্ত্ৰৰ উল্লেখ আছে।

চুতীয়া ৰাজ্যত ব্যৱসায়-বাণিজ্যৰ উৎকৰ্ষ সাধন কৰা হৈছিল। চীনদেশ, ব্ৰহ্মদেশ, তিব্বত আৰু ভূটানৰ লগত চুতীয়া ৰাজ্যৰ ব্যৱসায়-বাণিজ্য চলিছিল। বিভিন্ন গিৰিপথেদি এইবোৰ দেশৰ লগত যাতায়তৰ সুব্যৱস্থা আছিল। তাৰ ভিতৰত তিব্বতৰ ৰাজধানী লাছাৰপৰা প্ৰায় দুমাহ কাল ভ্ৰমণৰ দূৰত অসমৰ ফালে চৌনা নামৰ এটা বাণিজ্য কেন্দ্ৰ আছিল। তেনে আন এটা কেন্দ্ৰ আছিল চৌনাৰপৰা চাৰি মাইলমান আঁতৰত অসমৰ ফালে থকা গিগুনচুৰত।[২০৩] অসমৰপৰা সংগ্ৰহ কৰা সামগ্ৰীয়ে তিব্বত আৰু ভূটান হৈ চীনদেশ পাইছিলগৈ আৰু তাৰপৰা তেনেদৰে বস্তু আহি অসম পাইছিলহি। উত্তৰ-পশ্চিম ভাৰতৰ খাইবাৰ গিৰিপথৰপৰা দক্ষিণ চীনৰ ৰীমা পৰ্যন্ত বিস্তৃত অতি প্ৰাচীন বাণিজ্য পথটো সদিয়াৰ মাজেৰে গৈছিল। ওপৰত উল্লেখ কৰা চৌনালৈ যোৱা পথটো

[২০০] P.C. Choudhury, *op. cit.*, pp. 338-343.

[২০১] দেওধাই অসম বুৰঞ্জী, পৃঃ ১৭।

[২০২] পৃঃ ৫৫।

[২০৩] A Makenzie **History of the Relations of the Government with the Hill Tribes of the North-East Frontier, Calcutta**, 1884, p. 75; S.K. Bhuyan, **Anglo-Assamese Relations**, Gauhati, 1949, p. 35.

এই মূল পথটোৰ এটা উপপথ আছিল। গতিকে সদিয়া আছিল এখন উল্লেখযোগ্য বাণিজ্য কেন্দ্ৰ। সদিয়াৰ হাটত দাঁতি-কাষৰীয়া পাহাৰীয়া জনজাতি, যেনে - চিংফৌ, নিচি (ডফলা), আদি (আবৰ), মিছিং (মিৰি), মিচিমি আদি লোকসকলে দা, যাঠী, হাতীৰ দাঁত, মিচিমি তিতা, তাম, লো, কম্বল, কাপোৰ, ম'জাঠি আৰু নানা প্ৰকাৰৰ ঔষধি গছ সলাই ভৈয়ামৰ চাউল আৰু অনান্য খাদ্য সামগ্ৰী লৈ গৈছিল।

চুতীয়া ৰাজ্যত বিভিন্ন প্ৰকাৰৰ নাও সজা হৈছিল। সেই নাওবিলাকেৰে য'তদূৰ সম্ভৱ কামৰূপ-কমতাৰ লগত ব্যৱসায় বাণিজ্য কৰা হৈছিল। চুতীয়াসকলৰ মাজত মুদৈ, বৰমুদৈ আদি উপাধিৰ লোক এতিয়াও আছে। নাৱেৰে বাণিজ্য কৰা লোককে মুদৈ বোলে। গতিকে এইসকল লোকে নিশ্চয় নাৱেৰে বাণিজ্য চলাইছিল। ব্যৱসায়-বাণিজ্য বিনিময় প্ৰথাৰে চলিছিল, কাৰণ, চুতীয়া ৰজাসকলৰ চপোৱা মুদ্ৰা এতিয়ালৈকে পোৱা হোৱা নাই।

চুতীয়া ৰাজ্যত চুতীয়াসকলৰ উপৰি ব্ৰাহ্মণ, দৈৱজ্ঞ (গণক), কলিতা আদি উচ্চবৰ্ণৰ হিন্দু লোকো আছিল। সোণোৱালবিলাকৰ কিছু সংখ্যক সম্ভৱতঃ কছাৰী আছিল। শাস্ত্ৰজ্ঞ ব্ৰাহ্মণে চুতীয়া ৰজাসকলৰপৰা ভূমিদানৰ দৰে অনুগ্ৰহ লাভ কৰিছিল। এনে ব্ৰাহ্মণ ষটকৰ্মত (অধ্যয়ন, অধ্যাপনা, যজন, যাজন, দান আৰু প্ৰতিগ্ৰহত) নিয়ত থাকিব লাগিছিল আৰু সত্যবাদী হোৱাটো বাঞ্চনীয় আছিল। ফলিসমূহত কেইবাটাও গোত্ৰৰ ব্ৰাহ্মণৰ নাম পোৱা যায়, যেনে -কাশ্যপ, গৌবাত্ৰেয়, শাণ্ডিল্য আৰু ভৰদ্বাজ। চুতীয়া ৰাজ্যৰ হাবুং অঞ্চল ব্ৰাহ্মণসকলৰ ঘাই বসতিস্থান আছিল। তেওঁলোকক সাধাৰণতে এই ঠাইতে ভূমিদান দিয়া হৈছিল। সাৰুৱা মাটি, ব্যৱসায়-বাণিজ্য, আয়তন আৰু ইয়াৰ অধিবাসীসকলৰ ৰুচিৰ বাবে এই ঠাই প্ৰখ্যাত আছিল।[২০৪] ভূমিদানৰ তামৰ ফলিবিলাকৰ লিপিকাৰৰ কামটো সম্ভৱতঃ কোনাবা কায়স্থ লোকে কৰিছিল, কিন্তু বুৰঞ্জীসমূহত কেৱল ব্ৰাহ্মণ আৰু দৈৱজ্ঞৰহে উল্লেখ আছে। ব্ৰাহ্মণসকলে আনক্ষেত্ৰত কৰাৰ দৰে চুতীয়াসকলৰ ৰাজবংশটোকহে ক্ষত্ৰিয়ৰ মৰ্যদা দিছিল। অৱশ্যে আৰ্যীকৰণৰ প্ৰভাৱ উচ্চশ্ৰেণীৰ বিষয়া তথা সম্ভ্ৰান্ত শ্ৰেণীৰ ওপৰতো পৰিছিল। সাধাৰণ মানুহখিনি জনজাতীয় স্তৰত থকা কাৰণে তেওঁলোকক জাতিভেদ প্ৰথাই স্পৰ্শ কৰিবৰ পৰা নাছিল। ফলত চমাৰ, কমাৰ, তেলী, মালী আদি যিবিলাক বৃত্তিয়াল লোকক সাধাৰণতে আনঠাইৰ হিন্দু সমাজত নীহ বুলি গণ্য কৰিছিল, চুতীয়া ৰাজ্যত এই সকলো কাম চুতীয়ালোকসকলে নিজেই কৰিছিল। এতিয়াও ভিতৰুৱা চুতীয়া গাঁৱত চুতীয়ালোকসকলে নাপিত, কমাৰ, তেলী, মালী আদি সকলো কামেই নিজে কৰে।

চুতীয়াসকলৰ সমাজ আদিতে মাতৃতান্ত্ৰিক আছিল। পিছলৈ তেওঁলোক লাহে

[২০৪] Wade, **A Geographical Sketch of Assam**, incorporated in B. Sharma, (ed) **An Account of Assam**, p. 13.



লাহে পিতৃতান্ত্ৰিক সমাজলৈ পৰিৱৰ্তিত হয়। কিন্তু তেওঁলোক কেঁচাইখাঁতী অৰ্থাৎ দেৱীৰ পৰম ভক্ত হোৱাৰ কাৰণে সমাজত মাতৃ তথা নাৰীৰ মৰ্যদা উচ্চ আছিল। মাতৃতান্ত্ৰিক ব্যৱস্থাৰ অৱশিষ্টৰূপে এতিয়াও তেওঁলোকৰ মাজত বিয়াৰ বন্দোবস্তৰ সময়ত দৰাৰ ঘৰৰ শৰাহে প্ৰথম ছোৱালীৰ ঘৰত শৰাই পেলোৱাৰ নিয়ম আছে আৰু বৈবাহিক অনুষ্ঠানত কইনাৰ মোমায়েকৰ উপস্থিতি অপৰিহাৰ্য। তেনেকৈয়ে অন্নপ্ৰসন্নৰ সময়ত নৱজাত সন্তানৰ মুখত প্ৰথম অন্নমুঠি মোমায়েকেহে দিয়ে। তেওঁলোকৰ মাজত বাল্য বিবাহৰ প্ৰচলন নাছিল আৰু বিধবাৰ পুনৰ বিবাহতো কোনো বাধা নাছিল।

নাৰীয়ে ঘৰখন পৰিচালনাৰ সমস্ত দায়িত্ব লোৱাৰ উপৰি আগতে কৈ অহাৰ দৰে ঘৰখনৰ প্ৰয়োজনীয় সকলো বস্ত্ৰৰ যোগান পাঁজি কটাৰপৰা আৰম্ভ কৰি তাঁতত বৈ উলিওৱালৈকে নিজে কৰিবলগীয়া হৈছিল। তাঁত বব নজনা ছোৱালীক 'থুপৰী' বুলি কৈছিল আৰু এনে ছোৱালীয়ে সহজে দৰা নাপাইছিল। নাৰীৰ চাল-চলনত কোনো বাধা নাছিল। সঙ্গীত আৰু নৃত্যতো চুতীয়া গাভৰুৰ বৰ বাপ আছিল। তেওঁলোকৰ অন্যতম প্ৰিয় বাদ্যযন্ত্ৰ আছিল সুতুলি আৰু গগণা। বিহুনাচ, দেওধনী নৃত্য, কুলাবুঢ়ী নাচ আদিতো সৰ্বলোক পাৰ্গত আছিল। ধেনুখনা তামৰ ফলি (১৩১৪ শক)-ত সত্যনাৰায়ণৰ মাতৃ জননীক 'গৃহত ধৰ্মীয় কাম অনুষ্ঠিত কৰাত সদা ব্যস্ত' বুলি কোৱা হৈছে। প্ৰতাপনাৰায়ণৰ নাহৰণি তাম্ৰলিপিত তেওঁৰ মহিষী শ্ৰীলক্ষ্মী আৰু দুহিতা শ্ৰীবনিকাৰ নামৰ উল্লেখ আছে। এইবিলাক কথাই প্ৰমাণ কৰে যে চুতীয়াসকলে নাৰীক সন্মান কৰিছিল। আহোমসকলৰ সৈতে শেষ সংঘৰ্ষত চুতীয়া মহিষী সাধনীসহ নীতিপালৰ ১২০ গৰাকী কুঁৱৰীয়ে পাহাৰৰ ওপৰৰ পৰা শিল বগৰাই শত্ৰুপক্ষক ব্যতিব্যস্ত কৰিছিল। বহুদিনলৈকে পিতাকৰ একমাত্ৰ সন্তান হিচাপে সাধনীয়ে নিশ্চয় ৰাজকাৰ্যৰো কিছু জ্ঞান পিতাকৰপৰা লাভ কৰিছিল। ৰাজকাৰ্যত অনভিজ্ঞ নীতিপালৰ ৰাজত্ব কালত সাধনীয়ে পৰোক্ষভাৱে ৰাজকাৰ্য্যত অংশগ্ৰহণ কৰিছিল। সাধনীৰ আত্মত্যাগ, স্বাধীনতা প্ৰেম, ঐতিহ্যপ্ৰীতি আৰু সাহসিকতাই তেওঁক সতী নাৰীৰ ঠেক গণ্ডীৰ ভিতৰতে আবদ্ধ কৰি ৰখা নাই, বীৰাঙ্গনাৰ উজ্জ্বল জ্যোতিৰে তেওঁক উজ্বলিত কৰিছে। পিছৰ যুগৰ নাৰী সমাজত সেইকাৰণে তেওঁ এগৰাকী অমৰ হৈ ৰয়। পৰৱৰ্তী কালত প্ৰথম মোৱামৰীয়া বিদ্ৰোহত মৰাণৰ ৰাধা-ৰুক্মিণী আৰু দ্বিতীয় পৰ্যায়ত অসংখ্য নাৰীয়ে অংশগ্ৰহণ কৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ অধিকাংশ লোকেই চুতীয়া জাতিৰ আছিল। গতিকে যিসকল নাৰীয়ে বিদ্ৰোহত অংশ ল'বলৈ আগবাঢ়ি আহিছিল তেওঁলোকৰ সৰহ সংখ্যকেই সম্ভৱতঃ চুতীয়া ৰমণী আছিল।

অন্যান্য জনজাতিৰ দৰেই চুতীয়াসকলৰ পৰিয়াল যৌথ আছিল আৰু পৰিয়ালৰ মুৰব্বীজনৰ দিহা-পৰামৰ্শমতেই ঘৰৰ সকলো কাম-কাজ চলিছিল। তেওঁলোকৰ মাজত সাধাৰণতে গন্ধৰ্ব (গোপন বিবাহ), ৰাক্ষস (ছোৱালী জোৰকৈ নি বিয়া পতা) আৰু পৈশাচ (ছোৱালী পলুৱাই নিয়া) বিবাহৰ প্ৰচলন আছিল। হিন্দুকৃত সম্ভান্ত শ্ৰেণীটোৱে বৈদিক

নীতি-নিয়মেৰে হোম পুৰি বিবাহ কাৰ্য্য সম্পাদন কৰিছিল। আখ্যানৰ মতে, শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি নিয়াটো ৰাক্ষস বিবাহৰ এটা উদাহৰণ। ধীৰনাৰায়ণে সাধনীৰ স্বয়ম্বৰ পাতি বিয়া দিছিল। নীতিপালৰ ১২০ গৰাকী কুঁৱৰী থকাৰ কথাৰপৰা প্ৰমাণ হয় যে চুতীয়া ৰজাসকলে বহুবিবাহ কৰিছিল। অন্যান্য জনজাতিৰ দৰে সাধাৰণ পুৰুষৰ অৱশ্যে সচৰাচৰ এগৰাকী পত্নীহে আছিল। তেওঁলোকৰ মাজত যৌতুকৰ সলনি দৰা পক্ষই কইনা পক্ষক আগধন দিয়াৰহে নিয়ম আছিল। অনান্য জনজাতিৰ দৰে তেওঁলোকৰ মাজতো চপনীয়া প্ৰথাৰ প্ৰচলন আছিল।

চুতীয়া পুৰুষে পোন্ধ মাৰি ৰঙা, ক'লা আৰু বগা ৰঙৰ চুৰিয়া ভৰিৰ সৰু গাঁঠিত পৰাকৈ পিন্ধিছিল। চুকাফা স্বৰ্গদেৱে এই ধৰণটো আহোম আভিজাত্যৰ কাৰণে গ্ৰহণ কৰিবলৈ ঠিৰাং কৰি বৰাহীক তেনে ধৰণে চুৰিয়া পিন্ধিবলৈ বাৰণ কৰিছিল। এই সম্পৰ্কে বুৰঞ্জীত আছে - 'বৰাহীবোৰৰ পোন্ধ ৰঙা, কলা, ধবলা, এনে ধৰণৰ নেজ মাটি লুটি যায়। পাছে আমাৰ মানুহে বোলে তইঁতে এনেকৈ চুৰিয়া নিপিন্ধিবি। পিন্ধিব দেখিলে ৰজাদেৱে নেজ কাটিব।'[২০৫] চুতীয়াসকলৰ মাজত এবিধ চোলাৰো প্ৰচলন আছিল। চোলাবোৰ বুকুৰফালে কটা আছিল। লোকগীতত এই চোলাৰ বিৱৰণ 'চুতীয়া চোলা ঐ গলধন ফটা' বুলি আছে। সম্ভ্ৰান্ত শ্ৰেণীৰ মানুহে গাত এখন চেলেং অৰ্থাৎ চাদৰ মেৰাই অথবা কান্ধত পেলাই লৈছিল আৰু সমাজত প্ৰতিপত্তি থকাসকলে মূৰত পাগুৰি মাৰিছিল। তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাঙ্গনত পোৱা এচটা ইটাত এজন পুৰুষ জেকেটৰ দৰে এবিধ হাত কটা চোলা, দুয়ো কান্ধত পৰাকৈ এখন চাদৰ, আঠু ঢাকি ৰখালৈ পোন্ধ মাৰি চুৰিয়া আৰু ভৰিত জোতা পৰিধান কৰি থকা অৱস্থাত অংকিত হৈছে।[২০৬] আন এচটা ইটাত অংকিত এজন সৈনিকৰ চিত্ৰত তেওঁৰ হাতত এপাট যাঠি আৰু কঁকালত এখন তৰোৱাল দেখা গৈছে। মূৰত জোঙা টুপি পিন্ধিছে যদিও তেওঁৰ দীঘল চুলি স্পষ্টকৈ দেখা গৈছে। তেওঁ আঠু ঢকাকৈ চুৰিয়াৰ দৰে এখন বস্ত্ৰ পৰিধান কৰাৰ লগতে ককালত টঙালি মাৰিছে। কাণ, ডিঙি আৰু হাতত অলঙ্কাৰ পিন্ধিছে।[২০৭]

চুতীয়া নাৰীয়ে আজিকালিৰ অসমীয়া নাৰীৰ দৰেই নিশ্চয় মেখেলা-চাদৰ পিন্ধিছিল। সাধাৰণ মহিলাই বুকুত মেঠনি মাৰিছিল। সম্ভ্ৰান্ত মহিলাই মেখেলা-চাদৰৰ লগতে ৰিহাও ব্যৱহাৰ কৰিছিল। কপাহ, মুগা আৰু পাটৰে তৈয়াৰী বস্ত্ৰ পুৰুষ-মহিলা উভয়ে পিন্ধিছিল। শীতকালি এৰীয়া কাপোৰ একোখন গাত মেৰিয়াই লৈছিল। তেওঁলোকৰ দৈনন্দিন জীৱনত ৰঙা শেল দিয়া গামোচা অপৰিহাৰ্য আছিল। বিহু নাচৰ

[২০৫] আহোমৰ দিন, পৃঃ ২২-২৩।

[২০৬] S.F. Hannay, 'Notes on Ancient Temple and other remains in the vicinity of Suddyah, Upper Assam', **Journal of the Asiatic Society**, June,1848, Plate XXX & XXXI.

[২০৭] এই গ্ৰন্থৰ শেষত সন্নিবিষ্ট চিত্ৰ চাওক।



[illegible] মূৰত এখন গামোচা বান্ধি লোৱা আৰু কঁকালতো গামোচাৰে টঙালি বান্ধি লোৱাৰ নিয়ম আছিল। পুৰুষ-মহিলা উভয়ে বিভিন্ন প্ৰকাৰৰ অলঙ্কাৰ পিন্ধিছিল। অভিজাত শ্ৰেণীৰ পুৰুষসকলে যাতায়ত আৰু পৰিবহণৰ কাৰণে হাতী, ঘোঁৰা আৰু ডেকোৱা-দোলা ব্যৱহাৰ কৰিছিল। পুৰুষসকলো মহিলাসকলৰ দৰেই সঙ্গীতানুৰাগী আছিল। তাম্ৰেশ্বৰী মন্দিৰৰ ভগ্নাৱশেষৰ মাজত যি কেইচপৰা ইটা পোৱা গৈছিল তাৰে এচপৰাত দুজন নৃত্যৰত পুৰুষৰ ছবি অঁকা আছিল। চুতীয়াসকলৰ আটাইতকৈ প্ৰিয় উৎসৱ আছিল বিচু অৰ্থাৎ বিহু। বিহু উপলক্ষে তাম্ৰেশ্বৰী মন্দিৰকে ধৰি সকলো দেৱালয়তে [illegible] ভাঙৰ পূজা হৈছিল। আৰু সেই পূজাত ভূত-ভৱিষ্যতৰ কথা ক'ব পৰা দেওধ্বনি [illegible] হৈছিল। সেই দেওধ্বনিসকলে যি নৃত্য প্ৰদৰ্শন কৰিছিল সেই নৃত্য 'দেওধ্বনি নৃত্য' নামে জনাজাত। চুতীয়া ৰণত আহোমসকলে ডবা, কালি, ঢোল ইত্যাদি বাদ্যযন্ত্ৰ বজাইছিল। ম'হৰ শিঙৰ পেঁপা, বাঁহী, ঢোল, তাল এইবিলাক তেওঁলোকৰ প্ৰিয় বাদ্য আছিল। তেওঁলোক যে ভাল ঢুলীয়া আছিল তাৰ প্ৰমাণ ঢোল বাদনত 'চুতীয়া চেও' বুলি এটা চেও এতিয়াও প্ৰচলিত।

অসমৰ অন্যান্য ঠাইৰ দৰে চুতীয়া ৰাজ্যৰ প্ৰজাসকলৰ মাজতো নিশ্চয় ধোপ খেল, ঘিলা খেল, টাংগুটি, হাই গুদু, লুকা ভাকু আদি খেলৰ চলন্তি আছিল। কিছুমান চুতীয়া গাঁৱত এতিয়াও ধোপ খেল আৰু ঘিলা খেলৰ প্ৰচলন আছে। তদুপৰি চুতীয়া মাজত চ'ৰা নাও খেল অতি জনপ্ৰিয় আছিল। চুতীয়া ৰজাৰ নিমন্ত্ৰণক্ৰমে এই খেল চাবলৈ আহিয়েই আহোম স্বৰ্গদেউ চুতুফাই প্ৰাণ হেৰুৱাইছিল। তাম্ৰেশ্বৰী মন্দিৰৰ প্ৰাঙ্গনত পোৱা এচপৰা ইটাত এটা শেনে এটা কনুৱা ধৰি থকা অৱস্থাৰ চিত্ৰ অংকিত কৰা আছে।[২০৮] ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে, চুতীয়া ৰাজ্যত শেন-কনুৱা খেলৰ প্ৰচলন আছিল। আহোম [illegible] শেনচোৱা খেল আৰু কুকুৰা চোৱা খেলৰ দায়িত্ব প্ৰথমতে চুতীয়ালোককে দিছিল বুলি জনা যায়। ইয়াৰ পৰা অনুমান হয় যে কুকুৰা যুঁজ খেলতো চুতীয়াসকল পাৰদৰ্শী আছিল। ম'হ যুঁজৰ প্ৰচলনো তেওঁলোকৰ মাজত নিশ্চয় আছিল। সমূহীয়াকৈ মাছ মৰা, চিকাৰ কৰা, ধেনুকাঁড় চলোৱা, সাঁতোৰা আদি কামবোৰো এক প্ৰকাৰৰ খেলেই আছিল।

এইবোৰ কথাই মধ্যযুগৰ চুতীয়া ৰাজ্যখনৰ এটা উচ্চ সাংস্কৃতিক জীৱনৰ ইঙ্গিত দিয়ে। এই সম্পৰ্কীয় দিশবোৰ স্থানান্তৰত আলোচনা কৰা হৈছে।

**দাঁতি-কাষৰীয়া পাহাৰীয়া জনজাতিৰ লগত সম্পৰ্ক ঃ**

দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতি যেনে হ্ৰুচ' (অঁকা/Hrusso), নিচি (ডফলা), আদি (আবৰ), মিছিং (মিৰি) আৰু মিচিমিসকলৰ লগত চুতীয়াসকলৰ ৰাজনৈতিক

[২০৮] Hannay, *loc. cit.*, p. 467.; ডম্বৰুধৰ দেউৰী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৪; এই গ্ৰন্থৰ শেষত সন্নিবিষ্ট চিত্ৰ চাওক।

ধাৰাবাহিকতা আৰু প্ৰাসঙ্গিকতা কোনো কোনো সময়ত ৰক্ষা কৰিব পৰা হোৱা নাই। অনেক ঠাইত বৰ্ণনাৰ পুনৰাবৃত্তি ঘটিছে। তেনে কিছুমান বিৰৰণ উহ্য কৰি ৰাখিলেও অধ্যায়টোত উপস্থাপিত বিষয়খিনি বুজি পোৱাত পাঠকৰ অসুবিধা হ'ব পাৰে, এই ভাৱি পুনৰাবৃত্তি চমু কৰা হৈছে; কিন্তু ইয়াক সম্পূৰ্ণ বাদ দিব পৰা নাই।

বুৰঞ্জীখন সাধাৰণ ৰাইজক চকুৰ আগত ৰাখিহে ৰচনা কৰা হৈছে। গতিকে ইয়াৰ ভাষা যিমানখিনি পৰা যায় সহজ-সৰল কৰিবলৈ চেষ্টা কৰা হৈছে। বুৰঞ্জী ৰচনাৰ কঠোৰ নিয়ম-নীতি ইয়াত সকলো ক্ষেত্ৰতে মানি চলিব পৰা নাই। কোনো এক বিশেষ দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়ো বুৰঞ্জীখন ৰচনা কৰা হোৱা নাই। ঘটনাৱলীৰ এটা শুদ্ধ বা সত্য বিৰৰণ দাঙি ধৰিবলৈ আৰু এই বিৰৰণবিলাকৰ বিজ্ঞান সন্মতভাৱে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ যতদূৰ সম্ভৱ চেষ্টা কৰা হৈছে। বিজ্ঞজনে ইয়াত অনেক দোষ-ত্ৰুটি বিচাৰি পাব। কিন্তু কোনো ক্ষেত্ৰতে জ্ঞাতভাৱে সত্যৰ অপলাপ কৰিবলৈ চেষ্টা কৰা হোৱা নাই। উপযুক্ত তথ্যৰ অভাৱত কিছুমান সিদ্ধান্ত অনুমানৰ ওপৰত গ্ৰহণ কৰা হৈছে। নতুন তথ্যৰ আৱিস্কাৰে সেই সিদ্ধান্ত সালসলনি কৰিব পাৰে বা সম্পূৰ্ণ ভাৱে উৎখাতো কৰিব পাৰে। কাৰণ, বুৰঞ্জী সত্যৰ অন্বেষণ হ'লেও, শেষ সত্যটো কোনেও ক'ব নোৱাৰে, অৰ্থাৎ এটা চূড়ান্ত সিদ্ধান্ত দিয়াটো সম্ভৱ নহয়। বুৰঞ্জীখনত অনেক ভুল-ত্ৰুটি থাকিব পাৰে, সহৃদয় পাঠকে সেইখিনি আঙুলিয়াই দেখুৱালে পৰম কৃতাৰ্থ হ'ম।

এইখন বুৰঞ্জী চুতীয়া জনগোষ্ঠীৰ ইতিহাস, সমাজ আৰু সংস্কৃতিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ এটা প্ৰাথমিক প্ৰচেষ্টা মাথোন। ইয়াৰ জৰিয়তে চুতীয়া বুৰঞ্জী অধ্যয়নৰ এক আধাৰশিলা প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা হৈছে। ইয়াকে ভিত্তি কৰি নতুন অধ্যয়ন আগবঢ়াই নিলে সময়ত নতুন নতুন চিন্তাৰ পথ মুকলি হ'ব বুলি আশা কৰা হৈছে। এই প্ৰচেষ্টাই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য জনগোষ্ঠীসকলকো তেওঁলোকৰ নিজ নিজ বুৰঞ্জী ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলিও আশা কৰিছোঁ। অনেকেই ভাৱে যে, জনগোষ্ঠীসমূহে আত্মপৰিচয় বিচৰা মানেই বৃহত্তৰ অসমীয়া সমাজখন ভাঙি পেলোৱা, কিন্তু আমাৰ বোধেৰে প্ৰকৃততে সেইটো নহয়। চুতীয়া সন্মিলনৰ প্ৰথমখন নিয়মাৱলীতে এই কথা স্পষ্ট কৰি দিয়া হৈছে যে 'এজন ভাল চুতীয়া' হ'লেহে 'এজন ভাল অসমীয়া' হ'ব পাৰি। চুতীয়াসকল আজি বহু কাল আগতেই বৃহত্তৰ অসমীয়া সমাজত এনেভাৱে লীন গ'ল যে তেওঁলোকৰ সাংস্কৃতিক বৈশিষ্ট্যবোৰ অধ্যয়ন কৰোঁতে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছে। এই বৃহৎ সমাজখনৰ পৰা, যিখন সমাজৰ গঠন আৰু বিকাশৰ প্ৰতিটো দিশতে তেওঁলোকৰ বহুমূলীয়া অৱদান আছে ,সেইখন সমাজৰ পৰা তেওঁলোকে কেতিয়াবা বিচ্ছিন্ন হোৱাৰ চিন্তা কৰিব এই কথা ঐতিহাসিকভাৱে প্ৰতীয়মান নহয়। এই সত্যটো চুতীয়াসকলৰ ক্ষেত্ৰতে নহয়, অন্যান্য বহু জনগোষ্ঠীৰ ক্ষেত্ৰতো প্ৰযোজ্য। এই পৰিপ্ৰেক্ষিতত চুতীয়া বুলি নিজৰ পৰিচয় দিবলৈ সংকোচ কৰি আত্ম বিলুপ্তিৰ পথলৈ আগবাঢ়ি যোৱা চুতীয়াসকলক এই বুৰঞ্জীয়ে নিজস্ব ঐতিহ্যৰ গৰিমাৰে অনুপ্ৰাণিত হৈ 'এজন ভাল অসমীয়া' তথা এজন ভাল ভাৰতীয় হ'বলৈ উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

এইখন বুৰঞ্জীৰ ৰচনাৰ মূলতে আছে শ্ৰী হোমেন বৰগোহাঞিদেৱৰ অকুণ্ঠ অনুপ্ৰেৰণা আৰু তাগিদা। তেখেতৰ অবিহনে বুৰঞ্জী প্ৰণয়নৰ কাম হয়তো সম্ভৱেই নহ'লহেঁতেন। তেখেত নিজে আহি সম্পাদনা সমিতি গঠন কৰি আৰু সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ আগবঢ়াই নথকা হ'লে বুৰঞ্জীখন ৰচনাৰ কাম বহু পিচপৰি ৰ'লহেঁতেন অথবা আগৰ প্ৰচেষ্টাৰ দৰে এইবাৰো ই এটা পৰিকল্পনাহে হৈ থাকিলহেঁতেন। তেখেতৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কুলেন্দু পাঠকদেৱেও সম্পাদনা সমিতিৰ প্ৰতিখন সভাতে উপস্থিত থাকি তেখেতৰ দিহা-পৰামৰ্শ আগবঢ়াই আহিছে। তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ভৱনৰ এটা কোঠা চুতীয়া জাতিৰ বুৰঞ্জী সম্পদনা সমিতিৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ অনুমতি দি আমাক সহায় কৰিছে। তেখেতসকল দুয়োজনলৈকে সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সুযোগতে বুৰঞ্জীখন প্ৰণয়নৰ অৰ্থে আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈদেৱলৈ আমাৰ শলাগৰ শৰাই আগবঢ়াইছোঁ। সন্মিলনৰ সভাপতি শ্ৰী শৰৎ শইকীয়াৰ লগতে চুতীয়া বুৰঞ্জী প্ৰণয়ন সমিতিৰ পৃষ্ঠপোষক তথা অসমৰ জনকল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগলৈ আমাৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতিৰ সভাপতি শ্ৰী মিনাৰাম চুতীয়া, উপসভাপতি তথা সমন্বয়ৰক্ষী শ্ৰী কীৰ্তি চুতীয়া, সম্পাদক শ্ৰী হৰেণ চুতীয়া আৰু ডিব্ৰুগড় জিলা চুতীয়া সন্মিলনৰ সম্পাদক শ্ৰী বেদ শইকীয়া আৰু খোৱাং মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা শ্ৰী প্ৰদীপ চুতীয়াই বিভিন্ন প্ৰকাৰে আমাক সহায় সহযোগ আৰু অনুপ্ৰেৰণা যোগাইছে। তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। ক্ষেত্ৰ অধ্যয়নৰ কালছোৱাত বিভিন্ন জনে বিভিন্ন প্ৰকাৰে আমাক সহায় কৰিছে, তেখেতসকলৰ প্ৰত্যেকৰে নাম উল্লেখ কৰাটো সম্ভৱ নহয়। কিন্তু, তেখেতসকল প্ৰত্যেকৰে ওচৰত আমি ঋণী। ঢকুৱাখনা মহকুমাৰ গোহাঁই মৌজাৰ অন্তৰ্গত চেলাজান কছাৰী গাঁৱৰ বাসিন্দাসকললৈও আমি এই সুযোগতে কৃতজ্ঞতা জনাইছো।

যাদৱপুৰ বিশ্ববিদ্যালয়ৰ গুৰুনানকদেৱ আসনৰ প্ৰাধ্যাপক ড° হিমাদ্ৰী বেনাৰ্জীয়ে কেইবাটাও দুস্প্ৰাপ্য তথ্য কলিকতা বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ পৰা সংগ্ৰহ কৰি আমালৈ পঠিয়াইছিল। একেদৰে অসম চৰকাৰৰ মীন, হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ সচিব শ্ৰী লক্ষ্মীনাথ তামুলীদেৱেও কেইবাখনো দুষ্পাপ্য গ্ৰন্থ দি সহায় কৰিছিল। তেখেতসকল দুয়োগৰাকীৰ ওচৰত আমি কৃতজ্ঞ। এই প্ৰসঙ্গতে গুৱাহাটীস্থিত অসম চৰকাৰৰ বুৰঞ্জী

সম্পৰ্ক কেনে আছিল সেই বিষয়ে সঠিককৈ জনা নাযায়। পাহাৰীয়া অঞ্চলবোৰ সকলো প্ৰকাৰৰ খেতিৰ বাবে উপযোগী নোহোৱাৰ হেতু শস্য উৎপাদন কমকৈ হৈছিল, গতিকে খাদ্যৰ নাটনিৰ বাবেই কোনো কোনো পাহাৰীয়া জনজাতিৰ লোকে ভৈয়ামলৈ নামি আহি জোৰ জুলুমকৈ ভৈয়ামৰ মানুহৰ পৰা খাদ্য সামগ্ৰী সংগ্ৰহ কৰিছিল। এই উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ ৰাইজৰ পৰা দান-বৰঙণি তুলি দিবৰ কাৰণে চুতীয়া ৰজাসকলে ‘গৰুমূৰীয়া’ নামৰ এক শ্ৰেণীৰ বিষয়া নিযুক্তি দিছিল বুলি জনা যায়।[২০৯]

অৱশ্যে ওপৰত উল্লেখিত পাহাৰীয়া জনজাতিসকলৰ লগত প্ৰতিবেশী ৰূপে যুগ যুগ ধৰি চুতীয়া ৰাজ্যৰ প্ৰজাসকলে বাস কৰিব লগা হোৱাত কোনো কোনো ক্ষেত্ৰত তেওঁলোকৰ মাজত বুজা-বুজি হৈছিল, আৰু সেই অনুসৰি সম্ভৱতঃ তেওঁলোকৰ মাজত কিছুমান নিৰ্দিষ্ট বস্তুৰ আদান-প্ৰদান হৈছিল। আহোম স্বৰ্গদেৱৰ লগত চুতীয়া ৰজাই সন্ধিৰ প্ৰস্তাৱ দিওঁতে অন্যান্য সামগ্ৰীৰ লগতে দুযোৰ কম্বল আগবঢ়াইছিল।[২১০] এই কম্বল সম্ভৱতঃ দাঁতি কাষৰীয়া কোনোবা এটা জনজাতিৰ পৰাই সংগ্ৰহ কৰা হৈছিল।

চুতীয়া ৰজাৰ কেইবাখনো ফলিত দাতা ৰজাজনৰ প্ৰশস্তি গাওঁতে তেওঁক শত্ৰু দমনকাৰী বুলি কোৱা হৈছে। এই শত্ৰুৰ মাজত সম্ভৱতঃ দুই এটা দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিও আছিল। অতীতৰ সদিয়া অঞ্চলত পোৱা ভগ্নাংশবোৰৰ পৰা এই কথা ক’ব পাৰি যে পাহাৰীয়া জনজাতিসকলক দমন কৰি ৰাখিবলৈ চুতীয়া ৰজাসকলে ৰাজ্যৰ বিভিন্ন ঠাইত গড় বান্ধিছিল। আনহাতে এইসকল পাহাৰীয়া জনজাতিৰ লগত প্ৰতিবেশীৰূপে যুগ যুগ ধৰি চুতীয়া ৰাজ্যৰ প্ৰজাসকলে বসবাস কৰি থকাৰ ফলত তেওঁলোকৰ মাজত সাংস্কৃতিক আদান-প্ৰদান হৈছিল। চুতীয়াসকলৰ কাৰফাই ধেনু আদি আৰু নিচিসকলেও ব্যৱহাৰ কৰিছিল। মিচিমিসকলৰ লগত চুতীয়াসকলৰ সম্পৰ্ক ইমান নিবিড় আছিল যে চুতীয়াসকলৰ দৰে তেওঁলোকেও নিজকে ভীষ্মকৰ বংশধৰ বুলি পৰিচয় দিছিল আৰু আজিও তেওঁলোকে ভীষ্মকৰ জীয়াৰী ৰুক্মিণীক আদি মাতৃ বুলি শ্ৰদ্ধা তৰ্পণ কৰে।[২১১] চুতীয়াসকলৰ দৰে মিচিমি সকলেও শত্ৰুৰ হাতত চুলি কটা যোৱাটো আটাইতকৈ ডাঙৰ অপমান বুলি গণ্য কৰে।

চুতীয়া ৰাজ্যৰ দাঁতি কাষৰীয়া আটাইকেইটা জনজাতিৰ ভিতৰত মিচিমিসকলেই আটাইতকৈ বেহা বেপাৰৰ ক্ষেত্ৰত আগবঢ়া আছিল। যিহেতু চুতীয়া ৰাজ্যৰ ৰাজধানী সদিয়া বাণিজ্যৰ প্ৰধান কেন্দ্ৰ আছিল, সেয়ে ওপৰত উল্লেখ কৰা আটাইকেইটা জনজাতিয়েই চুতীয়াসকলক সাধাৰণতে সমীহ কৰি চলিছিল। চুতীয়াসকলৰ তাম্ৰেশ্বৰী মন্দিৰত এই পাহাৰীয়া জনজাতিসকলেও পূজা-সেৱা আগবঢ়াইছিল।

---

[২০৯] সৰ্বেশ্বৰ বৰুৱা, ‘পূৰ্বোক্ত প্ৰবন্ধ, **মণিদীপ**, পঞ্চম বছৰ, ৪ৰ্থ সংখ্যা, ফেব্ৰুৱাৰী, ১৯৬৫, পৃঃ ৩০৪।

[২১০] **Ahom Buranji**, p. 55.

[২১১] **Gazetteerr of India, Arunachal Pradesh, Lohit District**, 1978, p.41.



পাহাৰীয়া জনজাতিসকলৰ ব্যৱসায়ৰ পন্য দ্ৰব্য আছিল কপাহ, ম’জাঠি, মেঠুন, মিচিমি তিতা, গন্ধকলাই, মৌ, মৌ সিতা, জাংফাই, ৰবৰ, তাম, ৰূপ, জন্তুৰ চাল, গড়ৰ খৰ্গ, হাতীৰ দাঁত ইত্যাদি। এইবোৰ দ্ৰব্য সদিয়াহাটলৈ আনি তেওঁলোকে বিক্ৰী অথবা অন্য বস্তুৰ লগত বিনিময় কৰিছিল। অসমৰ বেপাৰী আৰু আদিসকলৰ মাজত ব্যৱসায়িক সম্পৰ্ক স্থাপনত মিছিংসকলে মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। অৱশ্যে তেওঁলোকে নিজৰ ফালৰ পৰা ব্যৱসায় নকৰাকৈ থকা নাছিল।

চুতীয়া ৰাজ্য পতনত পৰাভূত চুতীয়া প্ৰজাই দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিসকলৰ গাঁৱত আশ্ৰয় লৈছিল আৰু কিছু কাল তেওঁলোকৰ গাঁৱত থকাৰ পিছত তেওঁলোকৰ সামাজিক সংমিশ্ৰণ ঘটি আবৰ-চুতীয়া, মিৰি-চুতীয়া, মিচিমি-চুতীয়া আদি বিভিন্ন চুতীয়া ফৈদৰ সৃষ্টি হৈছিল। কালক্ৰমত এই চুতীয়াসকলে সেই সেই জনজাতিৰ লগত মিলি পৰিছিল। বৰ্তমান চুতীয়াসকলৰ এই বোৰ ভাগ পোৱা নাযায়। কিন্তু চুতীয়াসকলৰ মাজেদিয়েই যে আৰ্য বা হিন্দু সংস্কৃতি অতি সীমিত ৰূপত হ’লেও এই কেইটা পাহাৰীয়া জনজাতিৰ মাজত প্ৰৱেশ কৰিছিল আৰু তেওঁলোকৰ লগত ভৈয়ামৰ মানুহৰ এটা সম্প্ৰীতি গঢ়ি উঠিছিল, সেই কথা নুই কৰিব নোৱাৰি।

# চুতীয়া ৰাজ্যৰ পতনৰ কাৰণ আৰু পৰিণতি

চুতীয়াসকলে খ্ৰীঃ ষষ্ঠ শতিকাৰ মাজভাগতে সদিয়াক কেন্দ্ৰ কৰি এখন ৰাজ্য গঢ়ি তুলিছিল। গৃহকন্দলৰ ফলত ৰাজ্যখন তিনিটা খণ্ডত বিভক্ত হয়। এই দুৰ্বলতাৰ হেতু চুতীয়াসকলে ১২২০ খ্ৰীঃত সংঘটিত হোৱা মাও-শান নেতা চাম-লুং-ফাৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰিলে। অনুমান হয় প্ৰাচীন চুতীয়া ৰাজবংশত পিতৃৰ মৃত্যুত জ্যেষ্ঠ পুত্ৰই সিংহাসন আৰোহণ কৰা নীতি সদায় মানি চলা নহৈছিল। সম্ভৱতঃ এই কাৰণতেই এইখন ৰাজ্যত দুবাৰকৈ উত্তৰাধিকাৰৰ প্ৰশ্ন লৈ সমস্যাৰ সৃষ্টি হৈছিল। প্ৰথমবাৰ অসমভিন্নৰ মৃত্যুত তেওঁৰ সাত ককাই-ভাইৰ মাজত উত্তৰাধিকাৰৰ প্ৰশ্ন লৈ বিবাদ চলি থাকোঁতেই মাও-শান নেতা খুনলাই চুতীয়া ৰাজ্য আক্ৰমণ কৰাত ব্ৰাহ্মণ পণ্ডিত গৰাকীয়ে এই আক্ৰমণ প্ৰতিহত কৰিবলৈ নেতৃত্ব দিছিল আৰু তাৰ ফলত তেৱেঁই ৰাজ সিংহাসন অধিকাৰ কৰিব পাৰিছিল। শেষ ৰজা লেক্ৰয়ৰ মৃত্যুতো তেনেকৈয়ে তেওঁৰ চাৰিজন পুত্ৰৰ মাজত সিংহাসনৰ উত্তৰাধিকাৰৰ প্ৰশ্ন সমাধান নৌ-হওঁতেই মাও-শান নেতা চামলুংফাই চুতীয়া ৰাজ্য আক্ৰমণ কৰে। চুতীয়া ভ্ৰাতৃসকলে এই আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ ব্যৰ্থ হোৱাৰ কথা আগৰ অধ্যায়ত আলোচনা কৰা হৈছে।

প্ৰাচীন যুগৰ এইখন ৰাজ্যৰ ভগ্নাৱশেষতেই মধ্য যুগৰ চুতীয়া ৰাজ্যখন বিবৰ বা বীৰপালৰ নেতৃত্বত গঢ়ি উঠে। তেওঁৰ পুত্ৰ আৰু উত্তৰাধিকাৰী ৰত্নধ্বজপালৰ (আনুমানিক ১২১০-১২৫০ খ্ৰীঃ) দিনত চুতীয়া ৰাজ্য গৌৰৱৰ শিখৰত উঠে। তেওঁ পশ্চিম ফাললৈ চুতীয়া ৰাজ্য সম্প্ৰসাৰণ কৰিবলৈ সক্ষম হয়। ফলত চুতীয়া ৰাজ্যৰ প্ৰভাৱ কেউফালে অনুভূত হয়।[1] ৰত্নধ্বজপালৰ উত্তৰাধিকাৰীসকলে ধীৰনাৰায়ণৰ (আনুমানিক ১৫০০-১৫২২ খ্ৰীঃ) দিনলৈকে এই গৌৰৱ অক্ষুন্ন ৰাখিছিল। কিন্তু শেষ ৰজা চন্দ্ৰনাৰায়ণ ওৰফে নীতিপাল (১৫২২-১৫২৪ খ্ৰীঃ)ৰ হাতত শাসনভাৰ পৰাৰ লগে লগে ৰাজ্যখনৰ অৱনতি আৰম্ভ হয় আৰু মাত্ৰ দুটা বছৰৰ পিচতে ৰাজ্যখনৰ পতন ঘটে।

অৱশ্যে ইয়াৰ কাৰণে কেৱল নীতিপালকে জগৰীয়া কৰাটো যুক্তিসঙ্গত নহয়। কাৰণ অৱনতিৰ প্ৰক্ৰিয়াটো নীতিপালে সিংহাসন আৰোহণ কৰাৰ কিছু কালৰ আগৰ পৰাই আৰম্ভ হৈছিল। ধীৰনাৰায়ণ ধৰ্মভীৰু আৰু প্ৰজাৰঞ্জক আছিল যদিও তেওঁৰ

[1] **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট "চুটিয়াৰ কথা", পৃঃ ১৯৫-৯৬।



ৰাজনৈতিক দূৰদৰ্শিতাৰ অভাৱ আছিল। ১৫২০ খ্ৰীঃৰ যুদ্ধত আহোমসকলক ঘটুৱাই তেওঁ নিশ্চিত হৈ পৰিছিল যে শত্ৰু পক্ষই সহজে তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবলৈ নাহে, কিন্তু তেওঁৰ এই ধাৰণা অমূলক আছিল। আহোমসকলৰ বাঢ়ি অহা পৰাক্ৰম তেওঁ উপলব্ধি কৰিব পাৰিব লাগিছিল আৰু সেই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজ ৰাজ্যৰ সুৰক্ষাৰ অৰ্থে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, কিন্তু সেই দিশত তেওঁ কোনো মনোযোগ নিদিলে।

ধীৰনাৰায়ণৰ হিন্দু ধৰ্মৰ প্ৰতি প্ৰৱল অনুৰাগে চুতীয়া ৰাজ্যৰ পতনত ইন্ধন যোগাইছিল। তেওঁ ইমানেই আৰ্যীকৃত হৈ পৰিছিল যে প্ৰাচীন যুগৰ হিন্দু ৰজাসকলক অনুকৰণ কৰি তেওঁ জীয়াৰী সাধনীৰ বিবাহৰ অৰ্থে সয়ম্বৰৰ আয়োজন কৰি পণ ৰাখিছিল যে যিজন যুৱকে পাল শ-দিয়া মৈদামত ঘূৰি-ফুৰা কেৰ্কেটুৱা এটাক একেপাত শৰেৰে বধিব পাৰিব তেওঁলৈকে তেওঁৰ জীয়াৰী সাধনীক বিয়া দিব। সেই পণ তেওঁ ৰাজকুমাৰ আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ যুৱকসকলৰ মাজতে আৱদ্ধ নাৰাখি শেষ মুহূৰ্তত সাধাৰণ শ্ৰেণীৰ যুৱকলৈকো মুকলি কৰি দিছিল। ইয়াৰ ফলত নিতাই নামৰ সাধাৰণ চুতীয়া যুৱক এজনে পণত জয় লাভ কৰি চুতীয়া ৰাজকুমাৰীৰ পাণি গ্ৰহণ কৰিব পাৰিছিল।[2] ইয়াকে নকৰি ধীৰনাৰায়ণে ৰাজবংশৰ কোনোবা এজন কোঁৱৰক পাত্ৰ-মন্ত্ৰীসকলৰ লগত আলোচনা কৰি শাসনৰ দায়িত্ব দিব পাৰিলেহেঁতেন। কিন্তু এই কথা তেওঁ গভীৰভাৱে চিন্তা নকৰিলে।

ধীৰনাৰায়ণৰ আন এটা মাৰাত্মক ভুল হ'ল যে জোঁৱায়েক নীতিপালক সিংহাসনত বহুৱাই তেওঁ বানপ্ৰস্থী হ'বলৈ গ'ল।[3] ৰাজ্যৰ এই ৰাজনৈতিক সঙ্কটৰ কালত তেওঁৰ কৰ্তব্য আছিল নীতিপালক ৰাজকাৰ্য চলোৱাৰ প্ৰশিক্ষণ দিয়া, কিন্তু তাকে নকৰি তেওঁ সন্ন্যাস ব্ৰতহে গ্ৰহণ কৰিলে। অতিমাত্ৰা হিন্দু ধৰ্মপ্ৰাণ হৈ ধীৰনাৰায়ণে বাস্তৱ দিশটো আওকাণ কৰিছিল আৰু তাৰ ফলত ৰাজ্যৰ শাসন ব্যৱস্থা শিথিল হৈ পৰিছিল।

নীতিপাল ওৰফে চন্দ্ৰনাৰায়ণৰ কোনো ৰাজনৈতিক অভিজ্ঞতা নাছিল। গতিকে শাসন ব্যৱস্থাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ তেওঁ অপাৰগ আছিল। ন্যায়-অন্যায়ৰ বিচাৰ কৰিব তেওঁ নাজানিছিল আৰু ৰাজ চৰ্চ্চা এৰি বহু সময়ত চিকাৰত ব্যস্ত আছিল। এই সম্পৰ্কে **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট "চুটিয়াৰ কথা" ত এনেদৰে আছে - "পূৰ্বৰ পাত্ৰ মন্ত্ৰীক গুচাই সামান্যৰ পাত্ৰ মন্ত্ৰী পাতি ললে। দেশৰ দোষ-গুণ বিচাৰ নকৰি দণ্ডবন্ধ কৰিব ধৰিলে। পূৰ্বৰ নীতিক এৰি প্ৰৱৰ্ত্তে, এতেকে সকলোৱে অনিত্যপাল বুলিব ধৰিলে। ৰাজকাৰ্য্য এৰি মাছ-পহু মাৰি ফুৰে, আলি বান্ধি পুখুৰী খান্দি ফুৰে"।[4]

নীতিপালৰ এনেকুৱা অকাৰ্যত ৰাজ্যৰ সম্ভ্ৰান্ত শ্ৰেণীটো স্বাভাৱিকতে অসন্তুষ্ট

[2] ঐ, পৃঃ ১৯৮।
[3] ঐ, পৃঃ ১৯১।
[4] ঐ, পৃঃ ১৯৯।

হৈ পৰিছিল। পূৰ্বৰ পৰম্পৰা এৰি নীতিপালে সাধাৰণ কিছুমান লোকক দায়িত্বশীল পদত নিযুক্তি দিয়াত পাত্ৰ-মন্ত্ৰীসকল ক্ষুন্ন হৈ পৰিছিল আৰু ইয়াৰ ফলত ৰাজ্যত এক প্ৰকাৰৰ শীতল গৃহযুদ্ধ চলিছিল। ৰজা, পাত্ৰ-মন্ত্ৰী আৰু বিষয়া একেলগ হৈ কাম কৰিলেহে ৰাজ্য এখন বৰ্তি থাকে। কেওটা চকা নাথাকিলে যেনেকৈ এখন ৰথ নচলে, তেনেকৈয়ে বিষয়া-বৰ্গৰ মাজত মনোমালিন্য ঘটিলে ৰথৰূপী ৰাজ্যখনো সুকলমে নচলে। ৰজাৰ দোহিত্ৰী হিচাপে ৰাজকাৰ্যৰ পৰিচালনাত সাধনীয়ে তেওঁক পৰামৰ্শ আগবঢ়াইছিল কিন্তু নীতিপালে সাধনীতকৈ তেওঁৰ প্ৰিয় অনভিজ্ঞ বিষয়াসকলৰ ওপৰতহে বেছি গুৰুত্ব দিছিল।[৪]

ধীৰনাৰায়ণে সাধনীক এটি সামান্য ল'ৰাক বিয়া দিয়া আৰু পিছত তেওঁক ৰজা পতা কথাটো ধীৰনাৰায়ণৰ ৰাজবংশৰ আৰু অন্যান্য সম্ভ্ৰান্ত বংশীয় লোকসকলে মুঠেই সহ্য কৰিব নোৱাৰিছিল। ৰাজবংশত উপযুক্ত ব্যক্তি থকা স্বত্ত্বেও সাধাৰণ পৰিয়ালৰ নীতিপালক সিংহাসনত বহুৱাত কেইবাজনো কোঁৱৰে তলে তলে ষড়যন্ত্ৰত লিপ্ত হৈছিল। ৰাজপৰিয়ালৰ এই আভ্যন্তৰীণ বিবাদত প্ৰকাৰান্তৰে সহযোগ কৰিলে বহিস্কৃত ৰাজবিষয়াসকলে। কেনেকৈনো নীতিপালক সিংহাচ্যুত কৰিব পাৰে সেই বিষয়েহে তেওঁলোকে গোপনে চিন্তা-চৰ্চ্চা কৰিবলৈ ধৰিলে।[৫] ফলত ৰাজতন্ত্ৰ দুৰ্বল হৈ পৰিল।

কাচিতৰাৰ বাদেও চুতীয়াসকলৰ মাজৰ আন কেইবাজনেও ঘৰ-বিভীষণৰ ভূমিকা লৈছিল। তেওঁলোকে যুদ্ধৰ আয়োজনৰ বা-বাতৰি শত্ৰুপক্ষক জনাই আছিল। চুতীয়া জনশ্ৰুতি মতে কেইজনমান চুতীয়া লোকৰ পৰামৰ্শতে আহোম সেনাপতি ফ্ৰাচেংমুঙ বৰগোঁহায়ে নীতিপাল আৰু সাধনীয়ে আশ্ৰয় লৈ থকা চন্দনগিৰি পৰ্বতৰ ওপৰত ঢুলীয়াক ঢোল বজাবলৈ দিছিল। তেতিয়া বিহুৰ বতৰ আছিল কাৰণে পৰ্বতত আশ্ৰয় লৈ থকা চুতীয়া সৈন্যাই আনন্দত নাচিবলৈ ধৰিলে। এই সুযোগতে শত্ৰু পক্ষই চাৰিওফালৰ পৰা নীতিপালক আগুৰি ধৰিলে। কিছুমান চুতীয়া সৈন্য হাবিত সোমাল। যুদ্ধত প্ৰতিদিনেই এশ-দেৰশ চুতীয়া সৈন্য নিহত হ'ল। চুতীয়া ৰজাৰ তামুলী গজৰাজ বৰুৱাই আহোমৰ পক্ষ লৈ আহোম সেনাক লুকাই থকা চুতীয়া ৰজাক দেখাই দিলেগৈ।[৬] চুতীয়া সেনাপতি কাচিতৰায়ো নিজৰ জাতীয় স্বাৰ্থৰ বিৰুদ্ধে গৈ গোপনে যুদ্ধৰ সকলো বাতৰি আহোমসকলক জনাই আছিল। প্ৰথম অৱস্থাত যেতিয়া চুতীয়া সেনাপতি ধীৰনাৰায়ণ আৰু ৰঘুবীৰে প্ৰাণপনে যুদ্ধ কৰি অনেক আহোম সেনা নিহত কৰিছিল, তেতিয়া কাচিতৰাই যুদ্ধত হৰাৰ ভাও ধৰি হুহঁকি গৈ শত্ৰুপক্ষক বাট দেখুৱাই দিছিল। শেষ মূহুৰ্ত্ততো পৰ্বতৰ পৰা শিল বগৰাই সাধনী প্ৰমুখ্যে নীতিপালৰ ১২০-গৰাকী কুঁৱৰীয়ে আহোম সৈন্যক বাধা দি থাকোঁতে কাচিতৰাই নিজৰ সেনা-বাহিনীৰ বিজয় লাভৰ কথা

[৫] গোপীনাথ বৰদলৈ, **চুতীয়া বুৰঞ্জী**, পৃঃ ৬২।

[৬] সুকুমাৰ মহন্তৰ ঘৰত পোৱা **অসম বুৰঞ্জী**, পৃঃ ১০।



চিন্তা কৰাতকৈ শত্ৰু পক্ষৰ বাবেহে উদ্বিগ্ন হৈ আছিল। অৱশেষত যেতিয়া ৰঘুবীৰে আহোম সেনাক আক্ৰমন কৰি তেওঁলোকক পিচ হুহঁকিবলৈ বাধ্য কৰিলে, কাচিতৰাই আহোমৰ এই বিপৰ্যয় সহ্য কৰিব নোৱাৰি ৰঘুবীৰক বধ কৰিলে।[৭]

চুতীয়া ৰজাই মিত্ৰ শক্তিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব নোৱাৰাৰ বিপৰীতে আহোম স্বৰ্গদেৱে এই কামত অতি সাৱধানতাৰে আগবাঢ়িছিল। তেওঁ বাৰভূএগ্ৰাসকলৰ লগত সদ্ভাৱ গঢ়ি তুলি তেওঁলোকৰ জৰিয়তে চুতীয়াসকলৰ সামৰিক শক্তি আৰু অন্যান্য কিছুমান গোপন বাতৰি সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিছিল। ১৫২০ খ্ৰীঃত আহোমৰ লগত হোৱা যুদ্ধত চুতীয়াসকল যেতিয়া দিখৌমুখলৈকে আগবাঢ়ি আহিছিল, তেতিয়া আহোম স্বৰ্গদেৱৰ নিৰ্দেশত ভূএগ্ৰাসকলে চুতীয়াৰ লগত যুদ্ধত নামিছিল।[৮] ইয়াৰ পাছতো সংঘৰ্ষ শেষ নোহোৱা পৰ্যন্ত ভূএগ্ৰাসকলে আহোম স্বৰ্গদেৱলৈ তেওঁলোকৰ সেৱা আগবঢ়াইছিল। আহোমসকলে পানবাৰী আগতে অধিকাৰ কৰি লোৱাত তেওঁলোকৰ নানান সুবিধা হৈছিল। পানবাৰী ভূএগ্ৰাসকলৰ অধীনত আছিল। এই ঠাই আহোমৰ ফালৈ অহাত ইয়াৰ বাসিন্দাসকলক চুতীয়াৰ বিৰুদ্ধে কামত লগাব পৰা গৈছিল।

এইবোৰ ঘটনাৰ পৰিক্ৰমাত চুতীয়া ৰজাই নিজৰ চোৰাংছোৱা ব্যৱস্থা সবল আৰু কটকটীয়া কৰিব লাগিছিল কিন্তু ধীৰনাৰায়ণ বা নীতিপাল কোনো এজনে এই বিষয়ত বিশেষ গুৰুত্ব নিদিলে, যাৰ ফলত শেষ মূহুৰ্ত্তলৈকে তেওঁলোকৰ সকলো সামৰিক প্ৰস্তুতি শত্ৰু পক্ষৰ জ্ঞাত হৈ থাকিল।

চুতীয়াসকলৰ ৰণ বলৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ আছিল হিলৈ। চুতীয়া ৰণত জয়লাভ কৰি আহোমসকলে ৭৯ হিলৈ লাভ কৰিছিল।[৯] আনহাতে **দেওধাই অসম বুৰঞ্জী**ত সন্নিবিষ্ট "চুটিয়াৰ কথা"ত ১০০০ টা হিলৈ পোৱাৰ কথা উল্লেখ আছে।[১০] কিন্তু চুতীয়াসকলে আহোমসকলৰ লগত হোৱা যুদ্ধত হিলৈ ব্যৱহাৰ কৰাৰ উল্লেখ কোনো বুৰঞ্জীত নাই। ইয়াৰ পৰা এইটো অনুমান হয় যে হিলৈ ব্যৱহাৰৰ বাবে যি যৱ-ক্ষাৰৰ প্ৰয়োজন, সেই দ্ৰব্য চুতীয়াসকলে বহু দিন প্ৰস্তুত কৰা নাছিল। সেই বাবেই এই মাৰণাস্ত্ৰ তেওঁলোকে ব্যৱহাৰ কৰা নাছিল।

**দৰং ৰাজবংশাৱলী**ত পোৱা যায় যে আহোম স্বৰ্গদেৱে চুতীয়াৰ লগত মিত্ৰতা কৰি চুতীয়া ৰাজকন্যাক বিবাহ কৰায় আৰু সেই চুতীয়া কুঁৱৰীৰ পৰাই জানিবলৈ পায় যে তেওঁৰ পিতৃৰ ঘৰত এটি সোণৰ বিড়াল আছে আৰু সেই বিড়ালক পূজা কৰি যদি আনিলে যায়, তেনেহ'লে জয় অনিবাৰ্য। আহোম ৰজাই তেতিয়া কুঁৱৰীক পিতৃ গৃহৰপৰা

[৭] গোপীনাথ বৰদলৈ, **চুতীয়া বুৰঞ্জী**, পৃঃ ৬৪।

[৮] নকুলচন্দ্ৰ ভূএগ্ৰা, **বাৰভূএগ্ৰাৰ চমু বুৰঞ্জী**, পৃঃ ৫০৪।

[৯] সাতসৰী অসম বুৰঞ্জী, পৃঃ ১৪।

[১০] দেওধাই অসম বুৰঞ্জীত সন্নিবিষ্ট "চুতীয়াৰ কথা", পৃঃ ২০০।

সোণৰ বিড়ালটো আনি দিববৈলে কাতৰ অনুৰোধ জনায়। সেইমতে কুঁৱৰীয়ে পিতৃ গৃহলৈ গৈ পিতৃক কাকুতি কৰি সোণৰ বিড়ালটো লৈ আহে। এই বিড়াল আহোম স্বৰ্গদেৰৰ হস্তগত হোৱাত চুতীয়া ৰাজ্য দখল কৰিববৈলে তেওঁ সমৰ্থ হয়।[11] এই আখ্যানটোৰ কোনো ঐতিহাসিক সত্যতা নাই কাৰণ চুহুংমুঙ দিহিঙ্গীয়া ৰজাই চুতীয়া ৰাজবংশৰ কন্যাক বিয়া কৰোৱাৰ কথা কোনো বুৰঞ্জীত পোৱা নাযায়। ইয়াৰ বিপৰীতে সোণৰ মেকুৰীসহ কুবেৰদত্ত সম্পত্তি হস্তান্তৰ কৰিববৈলে অমান্তি হৈ সাধনীয়ে চন্দনগিৰি পাহাৰৰ পৰা তলৰ কুণ্ড এটালৈ এই সম্পত্তি পেলাই দি দেহত্যাগ কৰিছিল বুলিহে চুতীয়া বুৰঞ্জীত উল্লেখ আছে। ঐতিহাসিক সত্যতা নাথাকিলেও এই আখ্যানটোৱে এই কথাৰ ইঙ্গিত দিয়ে যে চুতীয়া ৰাজ্যৰ কিছুমান গোপন কথা আহোমসকলৰ জ্ঞাত হোৱাত কোনোবা মহিলাৰো ভূমিকা আছিল।

অৱশ্যে, নীতিপালে তেওঁৰ আন্তৰিকতা আৰু সাহসিকতা শেষলৈকে প্ৰদৰ্শন কৰিছিল। তেওঁ এজন ভাল ৰণুৱা আৰু সুদক্ষ কাঁড়ী আছিল। যুদ্ধলৈ যোৱাৰ আগতে তেওঁ পাত্ৰ-মন্ত্ৰীসকলৰ লগত আলোচনাও কৰি লৈছিল।[12] যুদ্ধত তেওঁৰ ভূমিকা সম্পৰ্কে বুৰঞ্জীত এনেদৰে আছে - 'চন্দ্ৰগিৰি পৰ্বতৰ নিকট যুধ পাতিলে। কুবেৰৰ দত্ত অস্ত্ৰ লৈ যুধত প্ৰৱেশ হ'ল। লুকিস্থিত হৈ পুনৰ দৃশ্য হৈ স্বৰ্গী ৰজাৰ সৈন্য মাৰে। সেই কাৰণে তাহাকো চন্দ্ৰনাৰায়ণ বোলে। সেই চুটিয়া ৰজা চন্দ্ৰগিৰি শিখৰত উঠিল, বাজু পাতি যুধ দিলে'।[13] এইক্ষেত্ৰত সাধনীৰ দূৰন্ত সাহস আৰু অতুলনীয় মনোবল শলাগিবলগীয়া। অন্তঃসত্বা অৱস্থাত থাকিও তেওঁ সপত্নীসকলক সংগঠিত কৰি পৰ্বতৰ ওপৰৰপৰা শিল বগৰাই শত্ৰুপক্ষৰ অনেক সেনা নিহত কৰিছিল।[14]

আহোম সৈন্যবাহিনীয়ে যুদ্ধ চলাই যাববৈলে তেওঁলোকৰ ৰজা, মন্ত্ৰী, সেনাপতি, পালি-সেনাপতি আদিৰপৰা যি নেতৃত্ব আৰু পৰামৰ্শ লাভ কৰিছিল, চুতীয়াসকলৰ ক্ষেত্ৰত তেনে হোৱা নাছিল। আহোমসকলে যুদ্ধখন ইমান গুৰুত্বসহকাৰে লৈছিল যে স্বৰ্গদেৰ চুহুংমুং যুদ্ধৰ আদিৰপৰা অন্তলৈকে শিবিৰত উপস্থিত আছিল। মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁই এজন সুদক্ষ সেনাপতি আছিল। প্ৰতিজন পালি-সেনাপতিয়ে নিজৰ কৰ্তব্য নিয়াৰিকৈ আৰু ঐকান্তিকতাৰে সম্পাদন কৰি গৈছিল। চুতীয়াসকলৰ ক্ষেত্ৰত বিষয়াসকলৰ পৰা সৈন্যবাহিনীয়ে এই সহযোগিতা আৰু সদিচ্ছা লাভ কৰিবপৰা নাছিল, কাৰণ নীতিপালক সিংহাসনত বহুওৱা কথাটোত তেওঁলোক অতি বিতুষ্ট হৈ পৰিছিল আৰু নীতিপালক ৰজা ভাঙিববৈলেহে চেষ্টা কৰিছিল। যুদ্ধত জয়লাভ কৰিববৈলে হ'লে ছল, বল, কৌশল

[11] **দৰং ৰাজবংশাৱলী**, পৃঃ ৭৩-৭৪।
[12] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯৯।
[13] ঐ, পৃঃ ২০০।
[14] ঐ।



সকলো প্ৰয়োগ কৰিব লাগে। নীতিপালৰ ক্ষেত্ৰত এনে নীতি অনুসৰণ কৰাৰ দৃষ্টান্ত দেখা পোৱা নাযায়। ৰাজবংশৰ লোকসকলৰ সহযোগিতা হেৰুওৱাৰ বাবেই নীতিপালৰ মৃত্যুৰ লগে লগেই যুদ্ধখনৰ অৱসান আৰু চুতীয়া ৰাজ্যৰ পতন ঘটিছিল। নীতিপালৰ মৃত্যুৰ প্ৰতিশোধ ল'ববৈলে কোনো ৰাজকোঁৱৰে ততালিকে অস্ত্ৰ তুলি লোৱাৰ কোনো কথা বুৰঞ্জীত পোৱা নাযায়। ৰজাঘৰীয়া এই অনৈক্যই ৰাজ্যখনৰ পতনত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল।

## চুতীয়া ৰাজকুমাৰৰ সংস্থাপন

আহোম স্বৰ্গদেৱে ৫ বছৰীয়া চুতীয়া ৰাজকুমাৰ সাধক নাৰায়ণক বধ কৰা নাছিল। তেওঁক "চুটিয়া দেশৰ ১২ ঘৰ মানুহ দি, কলীয়াবৰৰ কামাখ্যা পৰ্ববতৰ বাহিৰ কৰি বৌতাৰ পছিম পাৰ, ধনশীৰ পূবপাৰ, কবিৰ আলিৰ দক্ষিণ, ব্ৰহ্মপুত্ৰৰ উতৰপাৰে চৌহদ কৰি খুঁটা মাৰি তাম্ৰপত্ৰ কৰি দিলে - মানুহ বাৰে ঘৰেৰে সহিতে প্ৰবৰ্ত্তি, ৰজা চাঙ্গত বছৰে বছৰে মোহৰ ৰূপ ৮০ টকা, থঙা ৪০ খন শোধাই প্ৰবৰ্ত্তি থাকিবি, ইতি।"[15] এই সীমাৰ অন্তৰ্গত বৌতা মৌজাৰ গেৰুৱা অঞ্চলৰ মহলীয়া পাৰতে ৰাজকুমাৰ সাধক নাৰায়ণৰ বংশধৰসকল এতিয়াও জীৱিত আছে। ১৫৪৭ খ্ৰীঃত যেতিয়া কোচ নৃপতি মহাৰাজ নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ে নাৰায়ণপুৰ পৰ্যন্ত তেওঁলোকৰ ৰাজ্য বিস্তাৰ কৰিছিল তেতিয়া এই অঞ্চল কোচৰ অধীন হ'ল। চুতীয়া ৰাজবংশৰ যিসকল বৌতা অঞ্চলত আশ্ৰয় লৈছিল, তেওঁলোক সকলোৱে কোচ নৃপতিৰ পৰা নিৰাপত্তা প্ৰাৰ্থনা কৰিলে। সেই কথা **দৰং ৰাজবংশাৱলী**ত এনেদৰে বৰ্ণিত হৈছে -

"পলৰীয়া চুতীয়াৰ পুত্ৰ নাতি যত।
মল্লদেৱ আসিবাৰ শুনিয়া সম্প্ৰত।।
শৰণে পশিয়া সবে বৃতান্ত কহিলা।
হেন শুনি নৃপতিৰ দায়া সম্পজিলা ।। ৩৭২
নকৰিবা ভয় বুলি দিলন্ত নিৰ্ভয়।
দিলা বন্ট আসস্বাক নৃপ মহাশয়।।
ভাঠী-দেশে যায়ো বুলি নৃপতি পাঞ্চিলা।
বাঁহবাৰী নামে গ্ৰাম তথাতে থাপিলা।। ৩৭৩।"[16]

[15] ঐ, পৃঃ ২০০।
[16] **দৰং ৰাজবংশাৱলী**, পৃঃ ৭৪-৭৫; বাঁহবাৰী শোণিতপুৰ জিলাৰ বিহালী অঞ্চলত অৱস্থিত। অনুমান হয় কোচ ৰজা নৰনাৰায়ণে চুতীয়া ৰাজকোঁৱৰক বৌতাৰপৰা তুলি আনি বাঁহবাৰীত সংস্থাপিত কৰিছিল কিন্তু আহোমসকলে ৰাজ্য পুনৰ অধিকাৰ কৰাৰ লগে লগে চুতীয়া ৰাজকুমাৰক পুনৰ আগৰ ঠাইলৈ তুলি আনে। এইটো হ'ব পাৰে যে কোচ ৰজা নৰনাৰায়ণে বাঁহবাৰীলৈ চুতীয়া ৰাজকুমাৰক স্থানান্তৰিত কৰাৰ

উজনি অসমত কোচসকলৰ অধিকাৰ বেছি দিন নিটিকিল। আহোমসকলে শীঘ্ৰে তেওঁলোকৰ হেৰুওৱা অঞ্চল পুনৰ উদ্ধাৰ কৰিলে আৰু চুতীয়া ৰাজকোঁৱৰ পূৰ্বৰ দৰে আহোম স্বৰ্গদেৱৰ শৰণাপন্ন হৈয়ে থাকিল।

ব্ৰাউনৰ **দেউৰী-চুতীয়া গ্ৰামাৰ**ত সন্নিবিষ্ট ডেল্টনৰ চুতীয়াসকলৰ বিষয়ে লিখা টোকাৰ ওপৰত কেলনাৰে যি মন্তব্য প্ৰকাশ কৰিছিল, সেই মন্তব্যত তেওঁ সাধক নাৰায়ণকে ধৰি ১৮২৯ খ্ৰীঃ পৰ্যন্ত মুঠ বাৰজন চুতীয়া ৰাজকুমাৰৰ নাম আৰু ভোগকৰা বছৰ উল্লেখ থকাৰ তালিকাখন তলত দিয়া হ'ল -

| নাম | শক | ভোগ |
|---|---|---|
| ১। সাধক নাৰায়ণ | ১৫৯৮ | ৫০ বছৰ |
| ২। ধ্বজ নাৰায়ণ | ১৬৪৮ | ১৪ বছৰ |
| | | (গুৱাহাটীত ৰাজখোৱা বিষয় খাইছিল) |
| ৩। ধৈৰ্য্য নাৰায়ণ | ১৬৬২ | ১ বছৰ |
| ৪। গোপাল নাৰায়ণ | ১৬৬৩ | ৯ বছৰ |
| ৫। জয় নাৰায়ণ | ১৬৭২ | ২ বছৰ |
| | | (চুতীয়া বৰুৱা আছিল) |
| ৬। প্ৰেম নাৰায়ণ | ১৬৭৪ | ১ বছৰ |
| ৭। কাম নাৰায়ণ | ১৬৭৫ | ১ বছৰ |
| ৮। কমল নাৰায়ণ | ১৬৭৬ | ২ বছৰ |
| ৯। ৰাম নাৰায়ণ | ১৬৭৮ | ১৮ বছৰ |
| ১০। ৰূপ নাৰায়ণ | ১৬৯৬ | ১ বছৰ |
| ১১। বীৰ নাৰায়ণ | ১৬৯৭ | ৩৪ বছৰ |
| ১২। চন্দ্ৰ নাৰায়ণ | ১৭৩১ | ২০ বছৰ |
| | | (মৃত্যু ১৭৫১ শক, ১৮২৯ খ্ৰীঃ) |

এই বংশাৱলীখনত চুতীয়া ৰাজকুমাৰসকলৰ বিষয়ভোগৰ যি কাল দেখুওৱা হৈছে সেইয়া শুদ্ধ নহয়। কেল্‌নাৰে আঙুলিয়াই দিয়াৰ দৰে ধৈৰ্যনাৰায়ণৰ পৰা কমলনাৰায়ণলৈ ছয়জন ৰাজকোঁৱৰক মাত্ৰ যোল্ল বছৰহে ভোগ দেখুওৱা হৈছে, যিটো কোনোমতেই যুক্তিসঙ্গত নহয়। যিজনে বংশাৱলীখন প্ৰস্তুত কৰিছিল তেওঁ চুতীয়া ৰাজ্য পতনৰ তাৰিখ ভুলকৈ ১৫৯৮ শক অৰ্থাৎ ১৬৭৬ খ্ৰীঃ বুলি ধৰিছে। ১৮২৯ খ্ৰীঃৰ ভিতৰত তেওঁলোকৰ জমিদাৰী বিলুপ্ত হোৱা দেখুৱাব লগীয়া হোৱাৰ কাৰণেই বংশাৱলীখন

পৰিকল্পনাহে কৰিছিল, কিন্তু কাৰ্যত সেইটো হৈ নুঠিল কাৰণ অতি কম সময়ৰ ভিতৰতে আহোমসকলে কোচসকলকৰপৰা তেওঁলোকৰ হেৰুৱা ৰাজ্য পুনৰ উদ্ধাৰ কৰিলে।



প্ৰণয়ন কৰোতে মনে সাজি কিছুমান চন-তাৰিখ দিছে। আনহাতে **ছোট কোঁৱৰৰ** বুৰঞ্জীত সাধকনাৰায়ণ, তেওঁৰ ভাতৃসকলৰ নাম, তেওঁৰ বংশধৰসকল আৰু তেওঁলোকৰ বংশ-পৰিয়ালে ভোগকৰা বিষয়সমূহৰ উল্লেখ কৰা হৈছে। কিন্তু ইয়াতো সাধকনাৰায়ণক স্থাপন কৰা তাৰিখ ১৫৯৮ শক বুলিহে উল্লেখ কৰা হৈছে। তলত **ছোট কোঁৱৰৰ** বুৰঞ্জীত উল্লেখিত সাধকনাৰায়ণৰ বংশলতা আৰু প্ৰতিজন কোঁৱৰে ভোগ কৰা বছৰ আৰু বিষয়-বাবসমূহ বুৰঞ্জীখনত যেনেভাৱে আছে তেনেভাৱে তলত উল্লেখ কৰা হ'ল -

## সাধকনাৰায়ণৰ বংশলতা

| নাম | শক | ভোগ | মৃত্যু শক | বিষয়-বাব |
|---|---|---|---|---|
| ১। সাধক নাৰায়ণ | ১৫৯৮ | ৩০ | ১৬২৮ | বিষয়া হৈ চহৰ পাতে |
| ২। পুত্ৰ কৃষ্ণবল্লভ নাৰায়ণ | ১৬২৮ | ২০ | ১৬৪৮ | গুৱাহাটীত ৰাজখোৱা |
| ৩। ভং হৰিবল্লভ নাৰায়ণ | ১৬৪৮ | ১০ | ১৬৫৮ | দৰঙত ৰাজা হৈ আহি বাটতে মৃত |
| ৪। ভং চন্দ্ৰ নাৰায়ণ | ১৬৫৮ | ১ | ১৬৫৯ | ৰাজখোৱা গুৱাহাটীতে |
| ৫। ভং সমুদ্ৰ নাৰায়ণ | ১৬৫৯ | ২ | ১৬৬১ | ৰাজখোৱা গুৱাহাটীতে |
| ৬। পুত্ৰ ধ্বজ নাৰায়ণ | ১৬৬১ | ১ | ১৬৬২ | ৰাজখোৱা বিষই চহৰত |
| ৭। ভং ধৌৰ্য্য নাৰায়ণ | ১৬৬২ | ১ | ১৬৬৩ | ৰাজখোৱা বিষই চহৰত |
| ৮। পুত্ৰ জয় নাৰায়ণ | ১৬৬৩ | ৯ | ১৬৭২ | বিষয় বৰুৱা শলাল গোসাই চহৰত |
| ৯। ভং কাম নাৰায়ণ বৰুৱা | ১৬৭২ | ২ | ১৬৭৪ | শলাল গোসাই চহৰত |
| ১০। ভং কমল নাৰায়ণ বৰুৱা | ১৬৭৪ | ১ | ১৬৭৫ | শলাল গোসাই চহৰত |
| ১১। ভং প্ৰেম নাৰায়ণ বৰুৱা | ১৬৭৫ | ১ | ১৬৭৬ | ছয়মাহ থাকিব লাগে চহৰত |
| ১২। ভং গগন নাৰায়ণ বৰুৱা | ১৬৭৬ | ২ | ১৬৭৮ | চহৰত বৰুৱা, গড়গাঁৱত খাটনি |
| ১৩। ভং টলাভটা নাৰায়ণ বৰুৱা | ১৬৭৮ | ২ | ১৬৮০ | বৰুৱা হৈ গড়গাঁৱত খাটনি |
| ১৪। পুত্ৰ ৰূপনাৰায়ণ বৰুৱা (বালিকুছিৰ সেৱকীয়া) | ১৬৮০ | ১৬ | ১৬৯৬ | বৰুৱা হৈ ভঙপুৰত খাটনি বৰুৱা খাটৰ গৰাকী |
| ১৫। পুত্ৰ বলিনাৰায়ণ বৰুৱা | ১৬৯৬ | ১ | ১৬৯৭ | বৰুৱা হৈ ছমাহ কাথৰ পাটত খাটনি |
| ১৬। পুত্ৰ বিজয়নাৰায়ণ বৰুৱা | ১৭১২ | ১৯ | ১৭৩১ | চহৰত বৰুৱা হৈ আছিল |

| | | | | |
|---|---|---|---|---|
| ১৭। ভং চন্দ্রনাৰায়ণ বৰুৱা | ১৭৩১ | ২০ | ১৭৫১ | চহৰত বৰুৱা হৈ আছিল |
| ১৮। পুত্র ভোগনাৰায়ণ বৰুৱা | | | ১৭৫১ | |
| ১৯। ভং অমৃতনাৰায়ণ বৰুৱা | ১৭৫১ | ৩ | | চৌহদে জমিদল বিষয় কৰিছিল |
| ২০। ভং শ্ৰী মধু নাৰায়ণ | | | | চৌহদে জমিদাৰ বিষয় কৰিছিল |
| ২১। ভং কবিন্দ্র নাৰায়ণ | | | | থানাৰ ডাৰোগাগিৰি কৰ্ম কৰিলে |
| ২২। ভং লক্ষ্মী নাৰায়ণ | | | | |
| ২৩। ভং শিৱ নাৰায়ণ | | | | |
| ২৪। ভং শঙ্খ নাৰায়ণ | | | | |
| ২৫। ভং কৃষ্ণ নাৰায়ণ | | | | |
| ২৬। ভং গজেন্দ্র নাৰায়ণ [১৭] | | | | |

এইখন তালিকা নির্ভৰযোগ্য বুলি ক'ব নোৱাৰি কাৰণ ইয়াতো সাধক নাৰায়ণৰ সংস্থাপনৰ কাল ১৬৭৬ খ্রীঃৰপৰা গণনা কৰা হৈছে আৰু কুৰি নম্বৰৰ বংশধৰ অমৃত নাৰায়ণ বৰুৱাই ১৭৫১ শকৰ পৰা ১৭৫৪ শক (অর্থাৎ ১৮২৯-১৮৩২ খ্রীঃ) জমিদাৰী ভোগ কৰে বুলি কোৱা হৈছে। আনহাতে কুৰি জন বংশধৰৰ কাৰণে কেৱল মাত্ৰ ১৫৬ বছৰহে দেখুওৱা হৈছে। চুতীয়া ৰাজ্য পতনৰ তাৰিখ ১৫২৪ খ্রীঃ ধৰিলে চুতীয়া ৰাজকোঁৱৰ সকলৰ জমিদাৰী ভোগ কাল হ'ল ৩০৫ বছৰ আৰু সেই হিচাবত প্ৰতিজন কোঁৱৰৰ ভোগ কাল গড়ে ১৫ বছৰ দুইমাহ মানহে হয়। আনহাতে আগৰ তালিকা অনুসৰি যদি সাধক নাৰায়ণ আৰু তেওঁৰ ১১ জন বংশধৰক একেটা সময়ৰ ভিতৰত ধৰো তেনেহ'লে তেওঁলোকৰ প্ৰতিজনৰ ভোগৰ কাল হয় গড়ে ২৫ বছৰ চাৰি মাহ, আৰু সেইটোৱেই গ্ৰহণযোগ্য। **ছোট কোঁৱৰৰ** বুৰঞ্জীত ২৮ জন উত্তৰাধিকাৰী দেখুৱালেও সকলোৱেই সাধক নাৰায়ণৰ বিষয় ভোগ কৰা নাছিল। যি নহওক সেই দুখন তালিকাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে চুতীয়া ৰাজকোঁৱৰসকলৰ জমিদাৰী ভোগ কাল ১৫২৪ খ্রীঃত আৰম্ভ হৈ ১৮২৯ খ্রীঃ শেষ হৈছিল। **ছোট কোঁৱৰৰ** বুৰঞ্জীত থকা তালিকাখনত শেষৰ আঠজন বংশধৰৰ ভোগৰ কাল দেখুওৱা হোৱা নাই। ২২ নম্বৰ বংশধৰ কবিন্দ্ৰ নাৰায়ণ থানাৰ ডাৰোগা আছিল বুলি কোৱা হৈছে। অমৃত নাৰায়ণ বৰুৱাৰ বংশধৰসকল ৰৌতা মৌজাৰ মৌজাদাৰ হৈছিল। ১৯৩৫ চনত তেওঁলোকৰ মৌজাদাৰী যায়। সাধক নাৰায়ণৰ বৰ্তমান বংশধৰ ৮৫ বছৰীয়া শ্ৰী লক্ষ্মীপ্ৰসাদ বৰুৱাক সাক্ষাত

[১৭] **ছোট কোঁৱৰৰ বুৰঞ্জী**, সম্পাদক কোযেশ্বৰ বৰুৱা, হাৰাজান/গহপুৰ, ২০০৫, পৃঃ ৩৪-৩৫।



কৰোতে তেওঁৰ পৰা জনা যায় যে তেওঁৰ পিতৃ সোমবৰ বৰুৱাই তেওঁলোকৰ বংশৰ শেষ মৌজাদাৰ আছিল। লক্ষ্মীপ্ৰসাদ বৰুৱাৰ কোনো মৌজাদাৰী বা চাকৰি নাই। তেওঁ পেটে ভাতে প্ৰবৰ্তাই থকা এজন সাধাৰণ লোক। তেওঁলোকে এতিয়াও ৰজাদিনীয়া ভেটিতে বাস কৰি আছে। তেওঁ কোৱা মতে পূৰ্বতে তেওঁলোকৰ ৰাজ প্ৰাসাদতুল্য কাঠ-গাহৰ দুটুপীয়া সুন্দৰ ঘৰ আছিল। সেই ঘৰটোৰ টুপত থকা পিতলৰ কলচী দুটা তেওঁৰ ভাতৃ সত্যপ্ৰসাদ বৰুৱাৰ ঘৰত এতিয়াও আছে।

সাধক নাৰায়ণৰ লগত ১২ ঘৰ মানুহ দিয়া হৈছিল। এই মানুহ কেইঘৰ হ'ল - 'জয়সেন শৰ্মা ১ ঘৰ। ফেটি ১ ঘৰ। এৰিয়া মাল নামে ১ ঘৰ। গৰ্গ নামে ১ ঘৰ। গজলা নামে ১ ঘৰ। পক্ষিয়া নামে ১ ঘৰ। মনমথ নামে ১ ঘৰ। ভোলা নামে ১ ঘৰ। পাগলা নামে ১ ঘৰ। কাতিয়া নামে ১ ঘৰ। পেলৱা নামে ১ ঘৰ। দুবৰি মতি ১ ঘৰ।'[১৮] এই বাৰঘৰ মানুহৰ কোনোবাজনক শইকীয়া, কোনোবাক নেওগ, কোনোবাক বৰা, বাৰিক, তামুলী, লগুৱা ইত্যাদি বাব দিছিল। সদিয়াৰপৰা এই বাৰঘৰ মানুহ লৈ ভটিয়াই আহোঁতে ৰজা নীতিপালৰ ভতিজাক দুবছৰীয়া কৃত্যপালকো লগত লৈ আহিছিল। এই কৃত্যপালকে ছোট কোঁৱৰ বোলা হয়। **ছোট কোঁৱৰৰ** বুৰঞ্জীত তেওঁৰ বংশধৰসকলৰ নাম আৰু বিষয়-বাব এনেদৰে পোৱা যায়। ছোট কোঁৱৰৰ বংশধৰসকল -

১। কৃত্যপাল বা ছোট কোঁৱৰ
২। পুত্র নমো নাৰায়ণ বৰুৱা
৩। ভং ইন্দুৰ বৰুৱা
৪। ভং ঘোৰা বৰুৱা
৫। পুত্র মঙ্গল বৰুৱা
৬। পুত্র পাদা বৰুৱা
৭। পুত্র মহিম বৰুৱা
৮। ভং হেম ডেকা
৯। ভং ভোগ ডেকা
১০। ভং ভেদো ডেকা
১১। ভং সিদ্ধু ডেকা
১২। তস্য পুত্ৰ জই
১৩। তস্য পুত্ৰ বিনন্দ
১৪। তস্য পুত্ৰ লক্ষি
১৫। তস্য পুত্ৰ ৰবি

[১৮] ঐ, পৃঃ ৩১।

১৬। তস্য পুত্ৰ চন্দি

"মঙ্গল বৰুৱা চাৰি দুৱাৰত বৰুৱা হৈছিল। বংশৰ পতঙ্গ সোধাই আহোতে জাতিয়া আৰাঙ্গত মৃত্যু হ'ল। গুৱাহাটীৰ বিৰো মুদৈৰ ঘৰৰ পৰা ৫০০ টকা দি দক্ষিণপতীয়া গোঙ গুলিয়া ৰাজাত জয় শিলৰ খুটা সৰু হাজাৰত হাজৰিকা পাতে।[19]

নমো নাৰায়ণৰ পুত্ৰ আফুল বৰুৱা ওৰফে আফুৰা বেবেজীয়াত বৰুৱা হৈছিল। তেৱেঁই পাকৰি গুৰিৰ হাজৰিকা।

| | | |
|---|---|---|
| আফুল বৰুৱাৰ পুত্ৰ হাতীবৰুৱা | - | বেবেজীয়া বৰুৱা, |
| ভং বিজয় ডেকা | | |
| পুত্ৰ অম্বৰিশ বৰুৱা | - | চাৰি দুৱাৰত বৰুৱা |
| ভং দিগজ বৰুৱা | - | হাজৰিকা হৈছিল |
| পুত্ৰ আনন্দ বৰুৱা | | |
| তস্য পুত্ৰ গেঠাই | | |
| তস্য পুত্ৰ পেদল | | |
| ভং প্ৰতাপ ডেকা | | |
| ভং সতৰাম | | |
| পুত্ৰ গোবিন্দ | | |
| ভং বোলেমা।[20] | | |

এই বংশলতাও সম্পূৰ্ণ নিৰ্ভৰযোগ্য বুলি কব নোৱাৰি। ইয়াত কিছুমান কথা ব্যাখ্যা কৰা হোৱা নাই। উদাহৰণস্বৰূপে তালিকাৰ চাৰি নম্বৰত থকা হাতী বৰুৱা নিশ্চয় তেওঁলোকে ভোগ কৰা বিষয় বা পদবী। কিন্তু বংশলতাত এনেভাৱে লিখা হৈছে যেন তেওঁলোকৰ নামেই আছিল ঘোঁৰা আৰু হাতী। এই পদবীবিলাক চুতীয়া বংশৰ কোঁৱৰসকলক নিশ্চয় আহোম প্ৰশাসনত এই অঞ্চলৰ শাসন কাৰ্যৰ দায়িত্বত থকা সলাল গোঁহায়ে দিছিল।

সাধকনাৰায়ণে তেওঁৰ লগত লৈ অহা ১২ ঘৰ মানুহকে তেওঁ জ্ঞাতি স্বৰূপে জ্ঞান কৰি তেওঁলোকৰ সহায়তহে জমিদাৰী শাসন কাৰ্য চলাইছিল। সাধক নাৰায়ণ নাবালক থকা হেতু নিশ্চয় এই বাৰজন ব্যক্তিৰ অভিজ্ঞকেইজনে তেওঁৰ নামত শাসনৰ দায়িত্ব পালন কৰিছিল। তেওঁলোকৰ সহযোগতে সাধক নাৰায়ণে বহু কষ্ট কৰি প্ৰজাৰ সংখ্যা এহেজাৰৰ পৰা দুহেজাৰ কৰিছিল। যিহেতু কৃত্যপাল বা ছোট কোঁৱৰক তেওঁ আপোন ভাতৃ বুলি জ্ঞান কৰিছিল সেয়ে এই দুহেজাৰ পাইকৰ এহেজাৰ মানুহক সৰু-হেজাৰ নাম দি তেওঁৰ অধীনত চোৰা-চিতা কৰিবলৈ দিলে আৰু বাকী হেজাৰক বৰ-হেজাৰ নাম দি

[19] ঐ, পৃঃ ৩২-৩৩।
[20] ঐ, পৃঃ ৩৩।



তেওঁৰ অধীনত ৰাখিলে। ইয়াৰ বাহিৰেও বেবেজীয়াত থকাসকলক বেবেজীয়া-হেজাৰ পাতি তেওঁলোকক বয়-বস্তু যোগানৰ ভাৰ দিলে। ওচৰৰ বিলৰ কাষত কেইঘৰ মান কৈৱৰ্ত মানুহ আছিল। তেওঁলোকক চপাই পালি-বেবেজিয়া নাম দিলে। এনেদৰে মুঠ মানুহ চাৰিহেজাৰ হ'ল। ইয়াৰে এহেজাৰ ছোঁট কোঁৱৰক দিলে।[21]

শাসনৰ কিছু ঠান-ঠিত লগোৱাৰ পিছত সাধক নাৰায়ণে বৰকলাৰ পৰা কমলাকান্ত মহন্ত আৰু দৰঙৰ কবি বাৰীৰৰ পৰা নাৰদ মহন্তক নি নিজৰ চহৰত মাটি-বাৰী দি স্থাপন কৰিলে। নাৰদ আতাই ভূঞাৰ জীয়াৰী বিয়া কৰাইছিল। সেই কাৰণে তেওঁ পতা সত্ৰক ভূঞাৰ জী সত্ৰ বোলে। সাধক নাৰায়ণে কমলাকান্ত আতা আৰু ছোট কোঁৱৰে নাৰদ আতাৰ ওচৰত শৰণ ললে। সাধকনাৰায়ণৰ লগত অহা ভদ্ৰসেন মহন্তক (শৰ্মা) শ্ৰুতিকৰ নাম দিলে।

**ছোট কোঁৱৰৰ বুৰঞ্জীত** সাধক নাৰায়ণে দৰং ৰজা ইন্দ্ৰ নাৰায়ণৰ জীয়াৰী গোৰীকান্তিক বিয়া কৰাইছিল বুলি উল্লেখ কৰা আছে।[22] কিন্তু এই কথা সম্পূৰ্ণ বিভ্ৰান্তিমূলক কাৰণ দৰঙত কোচ ৰাজকোঁৱৰ বলিনাৰায়ণ ওৰফে ধৰ্ম নাৰায়ণক আহোম স্বৰ্গদেৱ প্ৰতাপসিংহই কৰতলীয়া ৰজা হিচাপে ১৬১৫ খ্ৰীঃত স্থাপন কৰিছিল। ইন্দ্ৰনাৰায়ণ আছিল বলিনাৰায়ণৰ পৰিনাতি সূৰ্য্যনাৰায়ণৰ পুত্ৰ। তেওঁৰ ভোগৰ কাল আছিল ১৬৮২ খ্ৰীঃৰ পৰা ১৭২৫ খ্ৰীঃ। যিটো কোনোপধ্যেই সাধকনাৰায়ণৰ লগত মিলাব নোৱাৰি।

সাধক নাৰায়ণে কমলাকান্ত আতাৰ ওচৰত শৰণ লৈ বৈষ্ণৱ হৈছিল তেওঁ পূৰ্ব-পুৰুষৰ পৰম্পৰা অনুসৰি শিৱ, দুৰ্গা আৰু বিষ্ণুৰ উপাসনাৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিছিল। ছোঁট কোঁৱৰক গোঁসানী পূজাৰ তদাৰকৰ দায়িত্ব দি গোঁসানী পূজাৰ প্ৰচলন কৰিছিল। বৌতাৰ সমীপৰ মাধগোঁসাই মন্দিৰ সাধকনাৰায়ণ বা তেওঁৰ বংশধৰসকলেই পাতিছিল বুলি ঠাৱৰ কৰিব পাৰি। মাধগোঁসাইৰ মন্দিৰৰ মূল বিগ্ৰহ হৈছে শিৱলিঙ্গ। এই দীৰ্ঘ অতীতৰ পৰাই চুতীয়া পূজাৰীয়ে পূজাৰ দায়িত্ব পালন কৰি আহিছে।

চুতীয়াসকল যে পিচলৈ গোড়া হিন্দু হৈ পৰিছিল সেই কথা সাধকনাৰায়ণৰ সামাজিক নিৰ্দেশনাৰ পৰা বুজা যায়। তেওঁ ঘোষণা কৰিছিল যে 'চুতীয়া ৰাজবংশ বিষ্ণুৰ উপাসক ... মোৰ বংশে বিধবা নানিব। সৎকৰ্মৰ বৰ্জিতো নহব। ইয়াকে নামানিলে অন্ন-বস্ত্ৰৰ দৰিদ্ৰ হব।'[23]

চুতীয়া ৰাজ্য দখল কৰাৰ পিছত এই বিজয় উদ্‌যাপন কৰিবলৈ স্বৰ্গদেৱ চুহুংমুঙে তেওঁলোকৰ প্ৰসিদ্ধ **ৰিক্‌খন** উৎসৱ অনুষ্ঠিত কৰিছিল। ইয়াৰ পিছত তেওঁ এই অভিযানত নেতৃস্থানীয় ভূমিকা লোৱা থাও-মুং-লুং নাংছুং, চাওছেং লুংক্লিং লুন আদি সকলোকে

[21] **ছোট কোঁৱৰৰ বুৰঞ্জী**, পৃঃ ৩০।
[22] ঐ, পৃঃ ২৯।
[23] ঐ, পৃঃ ৩০।

উপহাৰ দিছিল। চুতীয়া ৰজাৰ কোনো বংশধৰকে এই ৰাজ্যত ৰজা পাতিবলৈ ইচ্ছা নকৰি থাও-মুং নাং ছুঙক থাও-মুং-ফ্ৰাচেংমুং নাম দি সেই ৰাজ্যৰ শৃঙ্খলা লগাবলৈ পঠালে আৰু লগত ৩০৩ জন মানুহ দিলে।[২৪] এই সম্পৰ্কে **সাতসৰী অসম বুৰঞ্জী**ত এনেদৰে আছে - 'পাচে মহাৰজা ডাঙ্গৰীয়া সহিতে সকলোকে চপাই আলচ কৰি বোলে "লোক ৰাইজ্যে মাৰিছোঁ। ইয়াত ৰাজ্য ৰখন্তা নভৈলে কিয় ভাল হৈব?" এই বুলি থাও-মুং-লুং-চেঙ্গক ফ্ৰাংচেংমুন নাম দি বিহ গোহাঁই পাতি থলে। সইন্য তিনিশ দিলে, হস্তী তিনিটা, শদিয়াত অধিকাৰী।'[২৫] **দেওধাই অসম বুৰঞ্জী**ৰ মতে 'ৰজাদেৰে সকলোৰে সন্মতি লৈ থাওমুং-ফ্ৰাচেন্মুন্ বৰগোহাঁইক শদিয়াত থলে। গোহাঁইৰ লগত মানুহ থলে তিনি হাজাৰ, হাতী থলে তিন্টা।'[২৬]

চুতীয়া ৰাজ্য জয় কৰি আহোমসকলে তেওঁলোকক নিজ ৰাজ্যৰ বিভিন্ন ঠাইত স্থাপন কৰিছিল যাতে একগোট হৈ তেওঁলোকে আহোম শক্তিৰ বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰে। কিন্তু শ শ বছৰ ধৰি স্বাধীনভাৱে ৰাজ্য শাসন কৰি থকা চুতীয়াসকলৰ অনেকেই এই পদানত অৱস্থা মানি ল'বলৈ অস্বীকাৰ কৰি বিদ্ৰোহ কৰিবলৈ ধৰিলে। সদিয়াখোৱা গোহাঁই নিযুক্তিৰ কেইমাহমানৰ পিছতে ফুকংমুং নামৰ এজন পৰ্বতীয়া নেতাৰ অধীনত পূৰ্বৰ ৰাজধানী সদিয়াৰ আশে-পাশে থকা চুতীয়া লোক কিছুমানে বিদ্ৰোহ কৰিছিল; কিন্তু সদিয়াখোৱা গোহাঁয়ে এই বিদ্ৰোহ দমন কৰে। ফুকংমুং কোন জনজাতিৰ মানুহ আছিল সঠিককৈ জনা নাযায়।[২৭] সম্ভৱতঃ এই বিদ্ৰোহৰ পিছতে ফ্ৰাচেংমুঙৰ লগতে চাওচেংলুংক্লিংখামকো চুহুংমুং দিহিঙ্গীয়া ৰজাই সদিয়াৰ অধিপতি পাতিছিল।[২৮] ১৫২৭ খ্ৰীঃত চুতীয়াবিলাকে পুনৰ বিদ্ৰোহ কৰি বিফল হ'বলগীয়া হয়, কিন্তু দুবছৰ পিছত ১৫২৯ খ্ৰীঃত তেওঁলোকে যি বিদ্ৰোহ কৰিছিল সেই বিদ্ৰোহে আহোম স্বৰ্গদেৱক সংকটত পেলাইছিল। এই যুদ্ধৰ পৰিক্ৰমাত চন্দনগিৰি পাহাৰত হোৱা ৰণত জিকিব নোৱাৰি আহোমসকলে পাহাৰৰ নামনিত থকা চুতীয়াসকলৰ কিছুমান ল'ৰা আৰু বুঢ়া ধৰি আনি স্বৰ্গদেৱৰ লগ লগাইছিলিহি। ইতিমধ্যে চুলেং চাৰিং ৰজাই স্বৰ্গদেৱৰ শিবিৰলৈ আহোঁতে বাটতে তেওঁক চুতীয়া সৈন্যই বন্দী কৰে; কিন্তু আহোম সেনাপতিসকলে চাৰিং ৰজাক উদ্ধাৰ কৰে আৰু চুতীয়াসকলক পৰাস্ত কৰি স্বৰ্গদেৱৰ সৈতে ৰাজধানীলৈ ওলটি যায়। ১৫৪২ খ্ৰীঃত চুক্লেন্মুং গড়গঞা ৰজাৰ দিনত চুতীয়াসকলে দিচাং নদীৰ পাশ্বৰ্বৰ্তী অঞ্চল

[২৪] **Ahom Buranji**, p.57; সৰ্বানন্দ ৰাজকুমাৰ, **চুটিয়া, ভূঞা আৰু মটক ৰাজ্য**, পৃঃ ৩৫; **Ahom Buranji**-ত দুজন ব্যক্তি থাওমুংনাংছুং আৰু থাওমুংলুংফ্ৰাচেংমুঙৰ নাম দিয়া হৈছে। কিন্তু সৰ্বানন্দ ৰাজকুমাৰে এই অনুবাদ ভুল বুলি কৈ থাওমুংনাংচুঙক থাওমুংলুংফ্ৰাচেংমুং নাম দিয়া বুলি কৈছে।

[২৫] **সাতসৰী অসম বুৰঞ্জী**, পৃঃ ৬০।

[২৬] **দেওধাই অসম বুৰঞ্জী**, পৃঃ ১৯।

[২৭] ভৱানন্দ বুঢ়াগোহাঁই, **শদিয়াৰ বুৰঞ্জী**, পৃঃ ৩৫।

[২৮] **Ahom Buranji**, p.61.



শাসন কৰিবলৈ নিযুক্তি দিয়া হনন নামৰ বিষয়াজনক হত্যা কৰে।[২৯] ইয়াৰ কিছুকাল পিছত ১৫৫০ খ্ৰীঃত সদিয়াখোৱা গোহাঁইৰ মৃত্যু হোৱাত চুতীয়াৰ কঙ্ক পাত্ৰই 'ময়েই খামুনিসকল' অৰ্থাৎ ময়েই সদিয়াৰ ৰজা বুলি ঘোষণা কৰিলে। তিনি বছৰৰ পিছত কঙ্কপাত্ৰৰ বিদ্ৰোহ দমন কৰা হ'ল। যুদ্ধত কঙ্কপাত্ৰ আৰু অনেক চুতীয়া লোকৰ মৃত্যু ঘটিল।[৩০] কঙ্কপাত্ৰৰ লগত কেইবাজনো আহোম কোঁৱৰেও যোগদান কৰিছিল।[৩১] ১৬৬৫ খ্ৰীঃত চুতীয়াসকলে মিছিং (মিৰি) আৰু নিচি (ডফলা)-ৰ লগলাগি বিদ্ৰোহ কৰিছিল, কিন্তু ফলৱতী নহ'ল। ১৬৬৩ খ্ৰীঃত দেউৰী, টাইফাকে আদি তেওঁলোকৰ বিভিন্ন ফৈদৰ সহযোগত চুতীয়াসকলে হেৰুওৱা স্বাধীনতা ঘূৰাই আনিবলৈ শেষ প্ৰচেষ্টা চলায়, কিন্তু আগৰ কেইবাৰৰ দৰে এইবাৰো পৰাজয় স্বীকাৰ কৰিবলগা হয়। ইয়াৰ পিছত ১৭৬৯ খ্ৰীঃত সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহত তেওঁলোকে এটা অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ইতিহাস প্ৰসিদ্ধ এই বিদ্ৰোহ এটা গণবিপ্লৱ হ'লেও ইয়াৰ অন্তৰালত যে এচাম চুতীয়া লোকে নিজৰ হেৰুৱা ৰাজ্য পুনৰুদ্ধাৰৰ চেষ্টা কৰা নাছিল এনে নহয়। এই বিষয়ে পিছৰ এটা অধ্যায়ত আলোচনা কৰা হৈছে।

## ৰাজ্যৰ পতন আৰু বিদ্ৰোহৰ বিফলতাৰ পৰিণতি

ৰাজ্যৰ পতনৰ পিছত চুতীয়াসকলক বিভিন্ন ঠাইত স্থাপন কৰি তেওঁলোকক বিচ্ছিন্ন কৰি পেলাইছিল বুলি আগতে উল্লেখ কৰা হৈছে। এনেদৰে সিচঁৰিত হৈ পৰাৰ ফলত তেওঁলোকে সামূহিকভাৱে কোনো বিদ্ৰোহ সংঘটিত কৰিবপৰা নাছিল। বিক্ষিপ্তভাৱে চলোৱা তেওঁলোকৰ এই বিদ্ৰোহে কোনো কোনো সময়ত আহোম ৰাজতন্ত্ৰক আমনি দিছিল যদিও ইয়াৰ ভেটি কঁপাই তুলিবপৰা নাছিল। পদ্মনাথ গোহাঞিবৰুৱাই কোৱাৰ দৰে 'চুটিয়াসকলক অসমৰ চাৰিওফালে সিচঁৰতিকৈ থিতাপিত কৰি সিবিলাকৰ পুনৰুত্থানৰ শক্তি নাশ কৰা হয়।'[৩২]

চুতীয়া ৰাজবংশৰ শেষ প্ৰতিনিধি সাধক নাৰায়ণক এখন সৰু জমিদাৰীহে দি স্থাপন কৰা হৈছিল। তেওঁৰ লগত কোনো সম্ভ্ৰান্ত লোক নাছিল। এই পৰিস্থিতিত চুতীয়া ৰাজকুমাৰে যি সামাজিক স্বীকৃতি বা সন্মান পাব লাগিছিল তাৰপৰা সম্পূৰ্ণ বঞ্চিত হ'ল। অকলশৰীয়া হৈ পৰাত তেওঁ কোনো ক্ষেত্ৰতে নেতৃত্ব দিব নোৱাৰিলে। ৰাজকীয় মৰ্যদা বুলিবলৈ তেওঁৰ একো নাছিল। পৰৱৰ্তী কালত চুতীয়া ৰাজকুমাৰ সেইবাবে সাধাৰণ প্ৰজাত পৰিণত হ'ল।

[২৯] দেওধাই অসম বুৰঞ্জী, পৃঃ ৩৫।

[৩০] অসম বুৰঞ্জী, পৃঃ ২৫-২৬।

[৩১] ঐ।

[৩২] ঐ, পৃঃ ১৪১।

বিচ্ছিন্ন হৈ পৰাৰ ফলত সাধাৰণ চুতীয়াসকলৰ জনজাতীয় গাঁঠনিত কুঠাৰাঘাত পৰিল।[৩৩] তেওঁলোকৰ সামাজিক ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজতো সংহতি নোহোৱা হ'ল। ইয়াৰ ফলত তেওঁলোকৰ জনশ্ৰুতি আৰু আখ্যানবিলাকৰো মিল নোহোৱা হ'ল। ৰাজভগনৰ কালছোৱাত তেওঁলোকে বিভিন্ন ঠাইত বিভিন্ন জাতিৰ লগত গোপনে থাকিবলগীয়া হ'ল। ইয়াৰ এটা ইঙ্গিত **দৰঙ্গ ৰাজবংশাৱলী**ত আছে -

'তাৰ পুত্ৰ ভাই যত সকলে পলাইল।
মিৰি মিচিমিত পসি প্ৰাণক ৰাখিল।।
চুটিয়াৰ ৰজাক মাৰিয়া ছলে বলে।
লৈলা সেহি ৰাজ্যক অসমে কৌতূহলে।। ৩৭১'[৩৪]

দাঁতি-কাষৰীয়া মিছিং (মিৰি), মিচিমি, নিচি (ডফলা), আদি (আবৰ) আদি পাহাৰীয়া জনজাতিৰ বাহিৰেও তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকা পাৰ হৈ বৰাক উপত্যকা শাসন কৰি থকা তেওঁলোকৰ সমগোত্ৰীয় কছাৰী ৰাজ্যতো আশ্ৰয় লৈছিলগৈ আৰু তাৰপৰা কোনো কোনো লোকে ভাগি গৈ চিলেট, ত্ৰিপুৰা পৰ্যন্ত পাইছিলগৈ।

আনহাতে, বিচক্ষণ আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ চুতীয়া লোকসকলক আহোম ৰজা প্ৰতাপসিংহৰ দিনৰপৰা আহোম শাসনৰ বিভিন্ন দায়িত্বশীল পদত নিযুক্তি দি আৰু লগতে বৈবাহিক সম্বন্ধ স্থাপন কৰি তেওঁলোকক আহোম সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত কৰা হ'ল। প্ৰশাসনৰ জৰিয়তে হোৱা সংমিশ্ৰণৰ এই প্ৰক্ৰিয়াত চুতীয়ালোকৰ জনসংখ্যা যথেষ্ট হ্ৰাস পালে। বিভিন্ন অঞ্চলৰ জনগোষ্ঠীৰ মাজত আশ্ৰয় ল'বলগা হোৱাত তেওঁলোক অসম ৰাজ্যত এটা সংখ্যালঘু জনগোষ্ঠী হ'বলগীয়া হ'ল। এইবিলাক কথাই তেওঁলোকক এটা দুৰ্বল শ্ৰেণীত পৰিণত কৰিলে, যিটো অৱস্থাৰপৰা তেওঁলোক এতিয়াও উদ্ধাৰ হ'ব পৰা নাই। এই ক্ষেত্ৰত ভ্ৰমৰ শইকীয়াই তেওঁৰ **চুতীয়া জাতি** নামৰ পুস্তিকাখনত কৈছে - 'ৰাজ্য গ'ল, স্বাধীনতা হেৰাল, জাতি শক্তি ধ্বংস হ'ল। একতাৰ মুদা মৰিল। আহোম ৰজাই বল বিক্ৰম অধীন কৰি ললে। জ্ঞাতি বন্ধু বিচ্ছেদ কৰি পুনৰ গোট খাব নোৱাৰাকৈ টুপলি কটা কৰি চুতীয়া জাতিক বিমোৰ কৰে আৰু বিবুদ্ধিত পেলায়। চুতীয়াবিলাক ঠায়ে ঠায়ে ভাগ ভাগ হ'ল আৰু তেওঁলোকৰ ওপৰত ৰাজশক্তিৰ হেচা আৰু চোকা দৃষ্টি অনেক দিন চলি আছিল। এনে অৱস্থাত চুতীয়া জাতিৰ যেনে দুৰ্দশা হ'ব লাগে তেনেই ঘটিবলৈ ধৰে। অনেক বছৰ চুতীয়া জাতি টেপা খাই থাকিবলগীয়া হয়। অনেকে লাহে লাহে আহোম জাতিৰ লগত মিহলি হ'বলৈ ধৰে। আহোমৰ অধীনত নানা ঠাইত নানা ফৈদৰ অনেক খেলত চুতীয়া জাতি বিভক্ত হোৱাত পৰস্পৰৰ ভিতৰত চিনা-জনা নোহোৱা হৈ পৰে। খেলে-খেলে বা অঞ্চলে-অঞ্চলে গাইগুটিয়াৰ নিচিনা হৈ পৰে। দেশত মানভগন

[৩৩] **চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি**, সূৰ্য্যকান্ত খনিকৰ, পৃঃ ৯৯
[৩৪] **দৰঙ্গ ৰাজবংশাৱলী**, পৃঃ ৭৪



জাতি নানা বিপ্লৱ ঘটাৰ সময়ত ৰাজ্যৰ দুখ-দুৰ্গতিৰ লগে লগে নিমাখিত চুতীয়াবিলাক আৰু দুৰ্বলা হৈ পৰিল। হীনাৱস্থাৰ সময়ত বিপদৰ হেচা বেছিহে হয়। নানা বাধ্য-বাধকতাত চুতীয়া জাতিয়ে নিজৰ অতীত গৌৰৱৰ কথা পাহৰি গ'ল, আপোনাৰ যোগ্যতা হেৰুৱালে। লাগে লাগে নিজৰ ভিতৰতেই ভাল-বেয়াৰ বাচ-বিচাৰ চলিবলৈ ধৰিলে। এই দৰেই নানা ঠেক ভাৱ আৰু কুসংস্কাৰ সোমাই চুতীয়া জাতিৰ পতন হ'বলৈ ধৰে।'

চুতীয়া ৰাজভগনৰ পিছত সদিয়াৰ গুৰুত্ব কমি আহিল। এসময়ৰ বাণিজ্যপ্ৰধান আৰু সমৃদ্ধিশালী এই ঠাইখন সাধাৰণ নগৰীত পৰিণত হ'ল। যিখন ৰাজধানী চহৰত এসময়ত সম্ভ্ৰান্ত আৰু সংস্কৃতিবান লোকসকলে এটা চহকী ঐতিহ্য গঢ়ি তুলিছিল, সেই ঠাইত যাইকে সাধাৰণ প্ৰজাই বাস কৰিবলৈ লোৱাত সেই ঐতিহ্যৰ বিকাশৰ ধাৰা বাধাপ্ৰাপ্ত হ'ল।

ওঠৰ শতিকাৰ শেষৰফালে অনেক খাম্‌তি লোক আহি সদিয়াত বসতি স্থাপন কৰিলেহি। তেওঁলোকে সদিয়াখোৱা গোহাঁইক খেদি নিজে সেই অঞ্চল অধিকাৰ কৰি লয়। মানৰ আক্ৰমণৰ কালছোৱাত সদিয়াত যিসকল অসমীয়া মানুহ আছিল তেওঁলোকৰ ওপৰত খাম্‌তি আৰু চিংফৌসকলে বিভিন্ন প্ৰকাৰে এনেকুৱাই উৎপীড়ণ কৰিছিল যে সদিয়া উচন যাবৰ উপক্ৰম হৈছিল।[৩৫] এনেদৰে অনাদৃত হৈ পৰাত সদিয়াত থকা চুতীয়াসকলৰ প্ৰাচীন মঠ-মন্দিৰ, অট্টালিকা আদি সকলোবোৰ অযত্নপালিত হৈ পৰিছিল। এসময়ত জনবহুল সদিয়া নগৰ হাবি-জংঘলৰে পৰিপূৰ্ণ হৈ ইয়াৰ সকলো কীৰ্তিচিহ্ন ঢাকি পেলায়। এইবিলাক ঘটনাই চুতীয়াসকলৰ কেৱল প্ৰাচীন ঐতিহ্যকে নহয় তেওঁলোকৰ বুৰঞ্জী ৰচনাতো প্ৰচণ্ড আঘাত হানিছে।

এনে বিপৰ্যয়ৰ ফলত এসময়ৰ ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী চুতীয়া জাতিটো অধোগমন হ'বলগীয়াত পৰিল। অৱশ্যে তেওঁলোক দুৰ্বল হৈ পৰিলেও তেওঁলোকৰ সংস্কৃতিয়ে আজিও বৃহৎ অসমীয়া সংস্কৃতিত নিজস্ব সন্মানিত আসন অধিকাৰ কৰি আছে। বেণুধৰ শৰ্মাৰ ভাষাত ক'বলৈ গলে 'আহোমৰ হাতত চুতীয়াৰ পৰাজয় হ'ল ঠিক, চুতীয়াৰ সভ্যতা সংস্কৃতি সকলো চিৰঞ্জীৱি হৈয়ে থাকিল। চুতীয়াৰ সৌন্দৰ্যবোধ, শিক্ষাবিদ্যা, ধৰ্মানুশীলতা সকলো আহোম ৰাজ্যত জাতিধৰ্ম নিৰ্বিশেষে সকলোতে সোমাই পৰিল।'[৩৬]

[৩৫] **শদিয়াৰ বুৰঞ্জী**, পৃঃ ৪২।
[৩৬] 'চুতীয়া কৃষ্টি', **কাকডোঙা**, পৃঃ ১৭।

## ৰাজতন্ত্ৰৰ পতনৰ পৰৱৰ্তী কালৰ চুতীয়াসকলৰ উত্থানৰ প্ৰচেষ্টাঃ অসমত জনগোষ্ঠীয় উত্থানৰ পটভূমি

যি সময়ত চুতীয়া ৰাজতন্ত্ৰৰ পতন ঘটিছিল, সেই সময়ছোৱা অসমৰ বুৰঞ্জীত কেইবা প্ৰকাৰেও গুৰুত্বপূৰ্ণ কাল আছিল। খ্ৰীঃ ১৬ শ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত, অৰ্থাৎ চুতীয়া ৰাজ্যখনৰ পতনৰ আগে-আগে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমাংশত গঢ়ি উঠা প্ৰাচীন কমতাপুৰ ৰাজ্যখন ভাগি পৰিছিল আৰু তাৰ ঠাইত স্থানীয় জনগোষ্ঠী সম্ভূত কোচসকলৰ যুৱনেতা বিশু (পিছলৈ বিশ্বসিংহ)-ৰ নেতৃত্বত কোচ ৰাজ্যখনৰ ভেটি প্ৰতিষ্ঠা হৈছিল।[১] ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজ ভাগত চলি থকা ভূএগ জাতীয় সামন্তসকলৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ ৰাজ্যবোৰ সেই কালছোৱাত ভাগি পৰিছিল পশ্চিমৰ কোচ আৰু পূবৰ পৰা হোৱা আহোম ৰাজতন্ত্ৰৰ হেঁচাত।[২] ইফালে পূৰ্বৰে পৰা ৰাজ্যপাতি শাসন কৰি থকা কছাৰীসকলেও ক্ৰমে ব্ৰহ্মপুত্ৰ উপত্যকা এৰি দক্ষিণ-পশ্চিমে বৰাক উপত্যকাৰ ফালে ধাৱিত হৈছিল।[৩] ফলত খ্ৰীঃ ১৫-১৬ শতিকাৰ পূৰ্বে গঢ়ি উঠা ৰাজ্যবোৰ আৰু সেই ৰাজ্যবোৰৰ কলা-সংস্কৃতি আৰু সমাজত মানুহৰ জীৱন যাত্ৰাও গভীৰ সংকটৰ সন্মুখীন হৈছিল। উল্লেখযোগ্য যে কামৰূপ-কমতা, ভূএগ বা চুতীয়া এই সকলোবোৰ ৰাজ্যতেই ব্ৰাহ্মণ্যকৰণৰ ফলত ইয়াৰ সমাজ জীৱনে নিৰ্দিষ্ট পৰ্যায়ৰ ৰাজনৈতিক আৰু সামাজিক উত্তৰণ লাভ কৰিছিল। কিন্তু ক্ৰমান্বয়ে গঢ়ি উঠা সামন্তীয় চৰিত্ৰ, সমাজত হোৱা শ্ৰেণী বিভাজনৰ আৰু সমসাময়িক অৰ্থনীতিৰ ওপৰত পৰা তাৰ প্ৰভাৱৰ[৪] ফলত, আৰু বিশেষকৈ, নতুন নতুনকৈ উত্থাপিত

---

১ D. Nath, **History of the Konch Kingdom, 1515-1615 A.D.**, Delhi, 1989, pp. 15-16.

২ *ibid.*; Gait, **A History of Assam**, pp. 48-49, 86; S.L. Baruah, **A Comprehensive History of Assam**, pp. 93-94.

৩ Gait, **A History of Assam**, pp. 247-258.

৪ প্ৰাচীন কামৰূপ ৰাজ্যখনৰ পতনৰ অন্তৰালত আছিল কেইটামান গুৰুত্বপূৰ্ণ কাৰক। ৰাজন্যগোষ্ঠীৰ ভূমিদান প্ৰক্ৰিয়াৰ ফলত ক্ৰমান্বয়ে গঢ়ি উঠা একশ্ৰেণীৰ ভূ-স্বামীয়ে কেন্দ্ৰীয় শাসনৰ দুৰ্বলতাৰ সুযোগ পালেই ৰাজ্যখনৰ বিভিন্ন ঠাইত নিজৰ নিজৰ স্বাধীন একো একোখন ক্ষুদ্ৰ ৰাজ্য পাতি লৈছিল। ফলত খ্ৰীঃ দ্বাদশ-ত্ৰয়োদশ শতিকাৰ কালছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক পৰিস্থিতি ধূসৰ হৈ পৰিছিল। তদুপৰি, ৰাজ্যগঠন প্ৰক্ৰিয়াও আছিল এক অন্তহীন প্ৰবাহমান প্ৰক্ৰিয়া। কেন্দ্ৰীয় শাসনৰ অধীনত ৰাজ্যৰ সীমা-মূৰীয়া আৰু জনজাতি অধ্যুষিত অঞ্চলবোৰ ক্ৰমান্বয়ে গ্ৰাস কৰি নিয়া প্ৰক্ৰিয়া এটা চলিছিল। কিন্তু সমসাময়িক ভাৱে সেইবোৰ ঠাই আৰু তাৰ সমাজখনৰ উত্তৰণ ঘটাই মূল ৰাজ্যখনৰ লগত চামিল কৰা প্ৰক্ৰিয়াটো আছিল দুৰ্বল। আনহাতে, ৰাজন্যগোষ্ঠীৰ অনুগ্ৰহতে চলা ব্ৰাহ্মণ্যকৰণ প্ৰক্ৰিয়াৰ ফলত সমাজত



হোৱা জনগোষ্ঠীয় ৰাজনৈতিক উত্থানৰ পৰিপ্ৰেক্ষিতত সেইবোৰ ৰাজ্য অধিক কাল টিকি থাকিব নোৱাৰিলে। কিন্তু ইতিমধ্যে সামাজিক স্থান আৰু ৰাজনৈতিক আৰু অৰ্থনৈতিক সুবিধাবোৰৰ উমানপোৱা ৰাজন্যগোষ্ঠীবোৰে তেনেবোৰ সুবিধা আদায়ৰ প্ৰধান শক্তি স্বৰূপ স্বজাতীয় উপাদানবোৰৰ গুৰুত্ব বুজি পাইছিল আৰু সেই শক্তিৰ মাধ্যমেদিয়েই যে হেৰুৱা ক্ষমতা পুনৰুদ্ধাৰ সম্ভৱ হ'ব পাৰে তাকো বোধহয় তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল। ফলত ৰাজ্য হেৰুৱাৰ আৰম্ভনিৰে পৰাই তেওঁলোকে অপসাৰিত ৰাজনৈতিক শক্তি পুনৰুদ্ধাৰৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল আৰু সেই প্ৰক্ৰিয়াত তৃণমূল পৰ্যায়ৰ সমাজখনক জড়িত কৰি লৈছিল। সেয়েহে পৰৱৰ্তী কালৰ ৰাজনৈতিক ঘটনা প্ৰবাহ তেনে প্ৰচেষ্টাৰ উপাদানেৰে সংপৃক্ত।

ৰাজ্যখন হেৰুৱাই চুতীয়া জনগোষ্ঠী আৰু সম্ভ্ৰান্তসকল কেনেদৰে অসহায়-উদ্‌ভাউল হৈ পৰিছিল উপযুক্ত তথ্যৰ অভাৱত তাৰ সবিশেষ জনাৰ উপায় নাই। বুৰঞ্জীবিলাকত সংৰক্ষিত, সিঁচৰতি হৈ থকা উল্লেখবোৰৰ পৰা ইয়াকে জানিব পাৰি যে সেই সময়ত এহাতে চুতীয়া সম্ভ্ৰান্ত পৰিয়ালৰ একাংশ সদস্য মঙ্গলদৈলৈ স্থানান্তৰিত হৈছিল আৰু অন্যহাতে ক্ষমতাসম্পন্ন বিষয়-ববীয়াসকলক নিজ কুতুম্বৰ পৰা আঁতৰাই আহোম ৰজাই নিজ ৰাজ্যৰ ভিতৰত একাষৰীয়াকৈ এনেদৰে স্থাপন কৰি থৈছিল যাতে কিকোনো ধৰণৰ বিদ্ৰোহ উত্থাপন কৰিবলৈ তেওঁলোকে একে সময়তে একে মুঠ হ'ব নোৱাৰে আৰু কেউকাষৰ অধিবাসীসকলৰ পৰাও কোনো ধৰণৰ সহায়-সহযোগ তেওঁলোকে আদায় কৰিব নোৱাৰে।[৫] কিন্তু তথাপি, চুতীয়া, ভূএগ বা কছাৰীসকলে

শ্ৰেণীৰ সৃষ্টি হৈছিল। ৰাজন্য গোষ্ঠীক সামৰি ব্ৰাহ্মণ-'ক্ষত্ৰিয়'ৰ সংঘবদ্ধতাৰে তৈয়াৰ হৈছিল ক্ষুদ্ৰ এটা শক্তিশালী শ্ৰেণী আৰু ব্ৰাহ্মণ্যকৰণৰ বাহিৰত থাকি যোৱা জনজাতীয় স্তৰৰ বৃহৎ অংশটোৰে গঠিত হৈছিল জনজাতীয় স্তৰৰ শ্ৰেণীটো। জনজাতীয় স্তৰৰ এই কৃষক শ্ৰেণীটোৰ ওপৰত, বিশেষকৈ সীমাৰ পৰিধি বৃদ্ধিৰ ফলত আয়ত্তলৈ আনিব বিচৰা অব্ৰাহ্মণ্য বা অৰ্দ্ধব্ৰাহ্মণ্য সকলৰ লগত কেন্দ্ৰীয় শাসনৰ যি ঢিলা সম্পৰ্ক স্থাপন হৈছিল, সেই ঢিলা ৰাজনৈতিক, সামাজিক সম্পৰ্কৰ ফলত সীমামূৰীয়া জনজাতিসকলৰ মাজতো নতুন নতুন ৰাজনৈতিক নেতৃত্বৰ সৃষ্টি হৈছিল আৰু খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ কালছোৱালৈ তেনে বহুতো নেতৃত্বই মূৰ দাঙি উঠি পুৰণি কামৰূপ ৰাজ্যখনক দুৰ্বল আৰু শেষলৈ ছিন্ন-ভিন্ন কৰি পেলাইছিল। কমতা, কোচ, কছাৰী, চুতীয়া আদি ৰাজ্যবোৰৰ গঠন সেই দৃষ্টিৰে চাব লাগিব। এই প্ৰসঙ্গতে Hermana Kulke সম্পাদিত **The State in India, 1000-1700 A.D.** (Oxford Paperbacks, 2nd edition, 2003) ত সন্নিবিষ্ট 'The Early and Historical Kingdom : A Processual Model of Integrative State Formation in Early Medieval India', pp. 233-263 দ্ৰষ্টব্য; D. Nath ৰ 'State Formation in the Peripheral Areas - A Study of the Chutiya Kingdom of the Brahmaputra Valley' ('State Formation in Pre-Colonial East India' নামৰ North Eastern Hill University ত অনুষ্ঠিত (10-12 November, 2005) ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত পঠিত প্ৰবন্ধ (বৰ্তমান প্ৰকাশৰ পথত) দ্ৰষ্টব্য।

৫ Gait ৰ **A History of Assam** ৪৪ পৃষ্ঠা চাওক। তেওঁৰ ভাষাত - "The whole Chutiya country was now annexed, and a new officer of State, known as the Sadiya Khowa Gohain was appointed to administer it. In order to strength on his posi-

Mackenzi, Alexander - **History of the Relations of the Government with the Hill Tribes of the North-East Frontier of Bengal,** Calcutta, 1884.

Majumdar, R.C. et. al. - **History of Bengal**, I, Dacca University, 1942.
- **An Advanced History of India**, Delhi, 1974.

Martin, R. M. - **The History, Antiquities, Topography and Statistics of Eastern India**, 3 Vols., London, 1838.

M'Cosh, J. - **Topography of Assam**, Calcutta, 1837.

McCrindle, J.W. - **Ancient India as Described by Megasthenes and Arrian**, Calcutta, 1926.

Michell, J.F. - **Report on the Nort-East Frontier of India**, Calcutta, 1883.

Mills, A.J. Moffatt - **Report on the Province of Assam**, Calcutta, 1854.

Nath, D. - **History of the Koch Kingdom**, Delhi, 1989.
- (ed). **Reopening of the Stilwell Road-Prospects and Problems**, New Delhi, 2004.

Nath, R.M. - **The Background of Assamese Culture**, Gauhati, 1984.

Neog, M. - **Sankardeva and His Times**, Gauhati, 1974.

Pemberton, R.B. - **Report on the Eastern Frontier of British India**, Gauhati. 1966.

Raikar, Y.A. - **Ita Fort**, Government of Arunachal Pradesh, Itanagar,1997.

Ray, H.C. - **Dynastic History of Nortthern India**, 2 vols., Calcutta, 1931-36, reprinted, New Delhi, 1973.

Raychoudhury, H.C. - **Political History of Ancient India**, Calcutta, 1953.

Robinson, W. - **A Descriptive Account of Assam**, Calcutta, 1841.

Risley, H.H. - **Tribes and the Castes of Bengal**, Calcutta, 1892.

Sangma, M.S. - **History and Culture of the Garos**,
New Delhi, 1981.

Saikia, Rajen - **Social and Economic History of Assam, 1853-1921,** Delhi, 2000.

Sarma, D.(ed.) - **Kamarupasasanavali**, Gauhati, 1981.

Sharma, R.S. - **Perspectives in Social and Economic History of Early India**, New Delhi, 1983.

Sharma, M.M. - **Inscriptions of Ancient Assam**, Guwahati, University, 1979.

Sen B.M & R.C. Goffin - **Stories from Assam History**, Calcutta, 1923.

Shakespear, L.W. - **History of Upper Assam, Upper Burma and North-Eastern Frontier**, London, 1941.

Singh K. Suresh (ed.) - **People of India, Assam, Vol. XV** (2 parts), Calcutta, 2003.



Singha Surjit - **Tribal Politics and State Systems in Pre-Colonial Eastern and North-Eastern India**, Calcutta, 1986.

Tada Tage and J. Das -**A Descriptive Account of the Sculptures of Malinithan**, Directorate of Research, Government of Arunachal Pradesh, Itanagar, 2003.

Tavernier, Jean-Baptist - **Travels in India**, (ed.) V. Ball, 2 vols., London, 1952, reprinted, New Delhi, 1977.

Thapar, Romila - **A History of India**, vol. I, Harmondeworth, 1976.
- **From Lineage to State**, Bombay, 1984.

Vasu, N.N. - **Social History of Kamarupa**, 3 vols., Calcutta, 1922-26.

Wade, J.P. - **An Account of Assam**, (ed.) B. Sarma, North lakhimpur, 1927.

Ward, Mrs. S.R. - **A Glimpse of Assam**, London, 1884.

Watter, T. (trans) - **On Yuan Chwang's Travels in India**, 2 vols., London, 1905, reprinted, New Delhi, 1973.

**Journals, Newspapers, Periodicals, etc :**

- **Arunachal News**, Vol. No. 5, 1976 and Vol. No. 7, 1978.
- **Asiatick Research**
- **Assam Review**
- **The Assam Tribune**
- **Bengal : Past and Present**
- **Indian Antiquities**
- **Journal of Asiatic Society of Bengal**
- **Journal of Assam Research Society**
- **Journal of Royal Asiatic Society**
- **Lik Phan Tai**
- **NEFA Information**, vol. V, July, 1971.
- **Resarun '75**, Shillong, 1975.